গোহাঞিবৰুৱা ৰচনাৱলী

পদ্মনাথ গোহাঞিবৰুৱা

অসম প্ৰকাশন পৰিষদ
গুৱাহাটী-৩
১৯৭১

অসম প্ৰকাশন পৰিষদ

প্ৰকাশক
চন্দ্ৰপ্ৰসাদ শইকীয়া
সচিব, অসম প্ৰকাশন পৰিষদ
গুৱাহাটী-৩

সম্পূৰ্ণ গ্ৰন্থাকাৰে প্ৰথম প্ৰকাশ
২৬ নবেম্বৰ, ১৯৭১

মূল্য বিশ টকা

মুদ্ৰক
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট
কলিকতা-৬

সাহিত্যাচাৰ্য পদ্মনাথ গোহাঞিবৰুৱাৰ শতবাৰ্ষিকী জন্মোৎসৱ উপলক্ষে অসম প্ৰকাশন পৰিষদৰ পক্ষৰপৰা এই গ্ৰন্থখন আমাৰ শ্ৰদ্ধাৰ্ঘ্য হিচাপে নিবেদন কৰিছো। এই উপলক্ষে আমাৰ প্ৰকাশিত আন দুখন গ্ৰন্থ হ'ল: গোহাঞিবৰুৱাৰ আত্মজীৱনী "মোৰ সোঁৱৰণী", আৰু স্মৃতি-গ্ৰন্থ "পদ্মনাথ গোহাঞিবৰুৱা"।

এই গ্ৰন্থত সন্নিবিষ্ট গোহাঞিবৰুৱাৰ ৰচনাৰাশি হ'ল: "সাধনী", "জয়মতী", "গদাধৰ", "বাণৰজা", "লাচিত বৰফুকন", "গাওঁবুঢ়া", "টেটোন তামুলি", "ভূত নে ভ্ৰম", "জুৰণি," "ফুলৰ চানেকি", "লীলা", "লাহৰী", "ভানুমতী", তিনিও খণ্ড "শ্ৰীকৃষ্ণ", আৰু তেওঁৰ কেইখনমান সভাপতিৰ অভিভাষণ।

"বিজুলী", "বন্তি", "উষা" আৰু সেই কালৰ আন আন কাকত-আলোচনীত প্ৰকাশ পোৱা গোহাঞিবৰুৱাৰ সম্পাদকীয় আৰু প্ৰবন্ধৰাশি গ্ৰন্থাকাৰে প্ৰকাশ হোৱাটো একান্ত বাঞ্ছনীয়। এই কাম এই শতবাৰ্ষিকী জন্মোৎসৱৰ বছৰতে হোৱাটোও প্ৰয়োজনীয়।

গোহাঞিবৰুৱাৰ পুত্ৰ শ্ৰীহৰেকৃষ্ণ গোহাঞিবৰুৱাদেৱে এই গ্ৰন্থৰ ৰচনাৰাশি প্ৰকাশ কৰাৰ অনুমতি প্ৰদানৰ উপৰিও যথেষ্টভাৱে আমাক সহায় কৰিছে। তেওঁৰ বদান্যতাই আমাক মুগ্ধ কৰিছে আৰু কৃতজ্ঞতা আৰু প্ৰীতিৰ ডোলেৰে তেওঁ আমাক বন্দী কৰি ৰাখিছে।

মুখ্যমন্ত্ৰী আৰু আমাৰ পৰিষদৰ সভাপতি শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীদেৱে এই গ্ৰন্থখনি প্ৰকাশ-কাৰ্যত সকলো প্ৰকাৰৰ সহায়-সহযোগ-উপদেশ আগবঢ়াইছে। তেওঁৰ ঋণ কৃতজ্ঞ চিত্তেৰে স্বীকাৰ কৰিছো। অসম সাহিত্য সভাৰ কৰ্মকৰ্তাসকলৰ গোহাঞিবৰুৱা ৰচনাৱলী প্ৰকাশৰ বাবে জনোৱা আহ্বানেও আমাক অনুপ্ৰাণিত কৰিছে। তাৰ সভাপতি শ্ৰীতীৰ্থনাথ শৰ্মা আৰু প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো। ডঃ মহেশ্বৰ নেওগে এই গ্ৰন্থৰ ভূমিকাটো লিখি আৰু ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যই সহায়-সহযোগ আগবঢ়াই আমাৰ কৃতজ্ঞতা-ভাজন হৈছে।

গোহাঞিবৰুৱাৰ প্ৰায় সমস্ত সাহিত্য-ৰচনা এটা গ্ৰন্থত প্ৰকাশ কৰি এই পৱিত্ৰ উপলক্ষ্যত অসমবাসীৰ হাতত দিবলৈ পাই আমি আনন্দত উচ্ছ্বসিত আৰু অনুগৃহীত হৈছো।

গুৱাহাটী
১০ নবেম্বৰ, ১৯৭১

চন্দ্ৰপ্ৰসাদ শইকীয়া

পদ্মনাথ গোহাঞিবৰুৱা

ভূমিকা

পদ্মনাথ গোহাঞিবৰুৱা বুলিলেই মনত পৰে, আ[illegible]টোকাবিকৈ, [illegible] [illegible] তেওঁৰ পাঠপুথিবোৰলৈ, এই দি লেখা তেওঁৰ নামৰ বিশেষ উপাধি অংশ[illegible] [illegible] বাকলি-পাতৰ পিঠিটোত খুদ খুদ আখৰেৰে ছপোৱা তেওঁৰ "আদিপিকা" ([illegible]) বৈপৰা "জয়মতী তিথি-উৎসৱ সম্মিলনী (সভাপতিৰ অভিভাষণ)"-লৈকে, প্ৰায় [illegible] কিতাপৰ তালিকাটোলৈ, [illegible] সৰ্বোপৰি কিতাপৰ নামপাতত নানা বিশেষণেৰে [illegible], ইংৰাজী-অসমীয়া দুই ভাষাতে দিয়া তেওঁৰ নামটিলৈ :

The Special Literary Pensioner,

[illegible] PADMANATH GOHAIN BAROOAH, [illegible],

Ex-Paper-Setter of the University of [illegible] B.A. Examination; Ex-Hon'ble Ahom Representative Member of the First Assam Legislative Council; Member of the Assam Provincial Coin Committee; Author of "Sreekrishna", "Gitasar", "Lila" &c. &c.

পোন-প্ৰথম অসম লেজিচলেটিভ কাউন্সিলৰ ভূতপূৰ্ব [illegible] আহোম-প্ৰতিনিধি [illegible], কলিকতা ইউনিভাৰ্চিটিৰ বি-এ পৰীক্ষাৰ ভূতপূৰ্ব [illegible], [illegible] "গীতসাৰ", "লীলা" প্ৰভৃতি গ্ৰন্থৰ [illegible]

[illegible]

ৰায়বাহাদুৰ পদ্মনাথ [illegible]বৰুৱা, এম. আৰ. এ. [illegible]

গোহাঞিবৰুৱাৰ [illegible] [illegible] তেওঁৰ [illegible] [illegible] প্ৰকাশ-ভংগি [illegible] [illegible] প্ৰয়োগ [illegible] [illegible] মনত [illegible] [illegible], সুন্দোবন, [illegible], [illegible] ([illegible]); [illegible] (lieutenant [illegible]), [illegible] ([illegible]), [illegible] [illegible] [illegible]-[illegible] [illegible] [illegible]-গোমা ?), [illegible] লেখা [illegible] ([illegible]) [illegible] ইত্যাদি।' গোহাঞিবৰুৱালৈ ভাবিলে [illegible] এ[illegible]লে মনত পৰিব [illegible] [illegible] ৰজুওৱা [illegible] [illegible] বৰুৱা ওৰফে লক্ষ্মীনাথ [illegible], যি গোহাঞিবৰুৱাৰ ব্যক্তিগত [illegible]-[illegible] লৈ উপলুঙা কৰিছিল, "বি.এ.

পাছ এফ্.এ. ফেল" আদি বুলি ভেঙুচালি কৰিছিল, আৰু আন কি, গোহাঞিবৰুৱাৰ আদৰৰ 'অনৰেবোল' বিভুষাটোৰ ভীষণ pun কৰি ৰং চাইছিল। তথাপি গোহাঞিবৰুৱাৰ কাৰণে লক্ষ্মীনাথ আছিল "অগ্ৰজপ্ৰতিম", বেজবৰুৱা আছিল "সাহিত্যৰথী" বেজবৰুৱা, বেজবৰুৱা-বিয়োগত গোহাঞিবৰুৱাই কবিতা লেখি অশ্ৰু-তৰ্পণ কৰে, সেই তৰ্পণত "উষা"ত প্ৰকাশিত বেজবৰুৱাৰ প্ৰবন্ধ প্ৰত্যাহাৰ কৰা লৈ যি মালিন্য এসময়ত দুইৰো সম্বন্ধত উপস্থিত হৈছিল সি বিস্মৃতিৰ গৰ্ভত বিলীন হৈ যায়। লক্ষ্মীনাথ বেজবৰুৱাৰ লগত আমি আজি আৰু গোহাঞিবৰুৱাৰ সমালোচনামূলক তুলনা নকৰোঁ। লক্ষ্মীনাথক যেনেকৈ শতাব্দী-পূৰ্ত্তিয়ে আমাৰ মাজত বহলভাৱে নকৈ চিনাকি কৰি দি থৈ গ'ল, পদ্মনাথকো আমি আজি নতুনভাৱে সোঁৱৰোঁ, নতুন আপোনভাৱে চিনাকি লওঁ।

গোহাঞিবৰুৱাই নিজেই নিজৰ সাহিত্যিক জীৱন আমাৰ বাবে "আঁচিবৰ" বিশেষ যত্ন কৰিছে। তেওঁৰ জীৱনৰ দুপাতৰেপৰা সাহিত্য-ৰস তেওঁৰ আঁহত সোমাই-ছিল। তাৰ উৎস: "মোৰ অগ্ৰজপ্ৰতিম সেই ভোলানাথ ভিনিহিদেৱ ৺কৃষ্ণানন্দ গোহাঞি ফুকন ডাঙৰীয়াৰ সৰল ভ্ৰাতৃ-স্নেহত মই সদায় ওপঙি ফুৰিছিলো। বাস্তৱতে, তেখেতেই মোৰ জীৱন-প্ৰৱাহৰ ঘাই গুৰিদিওঁতা। তেখেত আৰু তেখেতৰ প্ৰিয়তম বন্ধু ৺ফণিধৰ চলিহা ৰায়বাহাদুৰ ডাঙৰীয়া মোৰ শিশুকালৰ আৰ্হিপুৰুষ; তেখেতসকলৰ দুজনপৰা পোৱা প্ৰাথমিক শিক্ষাই মোৰ কুমলীয়া অন্তৰত জয়ে জয়ে সাহিত্যিক অনুৰাগ সঞ্চাৰ কৰে।" মদনমোহন তৰ্কালঙ্কাৰৰ "শিশু-শিক্ষা", ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ "বোধোদয়" আদিৰে পদ্মনাথে শিক্ষাৰম্ভ কৰাই নহয়, তাৰপৰা তাতোকৈ ডাঙৰ অনুপ্ৰেৰণাও লাভ কৰিছিল। "সেই কালৰ বঙ্গলা সাহিত্যৰ ওচৰত আমি চিৰধৰুৱা, বিশেষকৈ তেতিয়াৰ বঙ্গলা সাহিত্য সংস্কৃতীয়া বা 'ং-ঃ-শূন্য সংস্কৃত' হোৱাৰ ফলত, তেতিয়াৰেপৰা ঘাই মাতৃভাষা সংস্কৃততো অলপ অচৰপকৈ আমাৰ ব্যুৎপত্তি লাভ হৈছিল; কালত সেই বঙ্গলা-সংস্কৃত সাহিত্যৰ ব্যুৎপত্তিৰ আভাসে অসমীয়া সাহিত্য-চৰ্চ্চাত আমাক বিশেষ গুণ দিছিল আৰু দিছে।" উত্তৰ লক্ষীমপুৰৰ মজলীয়া স্কুলত পঢ়া কালতে পদ্মনাথে লগৰীয়া পাণীন্দ্ৰনাথ গগৈৰে লগ লাগি "দুয়ো তলে তলে বঙ্গলা আৰু অসমীয়াত কবিতা ৰচনা কৰাত আৰু প্ৰবন্ধাদি লিখাত হাত দিয়ে।" দুইটি গোট খাই সৰু সৰু কবিতা গোটাই "পদ্ম-পাণি" নামে এখন হাতে লিখা কিতাপকে কৰি পেলাইছিল। বৰুৱাদেৱে তেওঁৰ এনে কবিতাৰ নমুনাও এধানমান আমাক দিছে।—

আমার যে চাঁদ হায়, দূরে দূরে সরে যায়,
দূরেতে পালায়;
সুদূর গগন মাজে অগণন তারা রাজে
(হায়) মম চাঁদ নাই।

গোহাঞিবৰুৱাৰ পিছলৈ সাহিত্যিক সতীৰ্থ বেণুধৰ ৰাজখোৱায়ো হেনো বঙ্গলা কবিতাৰ ঠেলাত ঘৰলৈ চিঠি লেখোঁতে পইদ কৰিছিল, লগুৱা "মণিব হয়েছে জ্বৰ শুন পিতৃবর" ইত্যাদি। হাই স্কুলত পঢ়ি থকা অৱস্থাতে ১৮৮৫ চনৰ দুৰ্গা-পূজাৰ বতৰত কামাখ্যাৰ নাটমন্দিৰত "অভিমন্যু-বধ বঙলা থিয়েটাৰ চাই পদ্মনাথৰ প্ৰাণ গা উঠিছিল যে তাৰেপৰা নাট এখন কিনি আনি দীননাথ বেজবৰুৱা ডাঙৰীয়াৰ চ'ৰাঘৰত তাৰ পুনৰভিনয় কৰিহে শান্তি পাইছিল। "এখন অসমীয়া নাটক ৰচিবলৈ তেতিয়াই মই কৃতসঙ্কল্প হওঁ। সেয়ে মোৰ নাটক-ৰচনাৰ ফালে ধাউতিৰ আঁতিগুৰি।"

যেতিয়া পদ্মনাথে "অগ্ৰজপ্ৰতিম" লক্ষ্মীনাথ বেজবৰুৱা আদিৰে ১৮৯০ চনত কলিকতালৈ যাত্ৰা কৰিলে, তেতিয়া কলিকতাত অ.ভা.উ.সা. সভা আৰু "জোনাকী"ৰ পয়োভৰ। শিক্ষা-ব্যৱস্থাৰ লগত পদ্মনাথৰ ৰাহি-জোৰা নহাত পদ্মনাথে "মিছাই" নামৰ 'শোকৰ কবিতা ৰচি, দুধাৰি চকুলো মচি' ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰিব লগীয়া হৈছিল। "অসমীয়া সাহিত্যত তেতিয়ালৈকে মোৰ ডাঠকৈ ৰাপ বহা নাছিল।...মোৰ এই মূৰে বঙ্গলা ভাষাত ভাবিবলৈ আৰু এই হাতে বঙ্গলা ভাষাত লিখিবলৈ শিকিছিল।" এতিয়া অ.ভা.উ.সা. সভাই তেওঁক অসমীয়া ভাষাতো সাহিত্যৰ 'হাতে খড়ি' ধৰালে। সেই সভাৰ তেওঁ একান্তিক ভকত হৈ পৰিল। সভাৰ এক অধিৱেশনত হেমচন্দ্ৰ গোস্বামীয়ে "অসমীয়া ভাষা" নামৰ ৰচনা এখন পাঠ কৰে। "সেইদিনা সেই ৰচনাই মোৰ মনত আহোমৰ পূৰ্ব্ব গৌৰৱৰ, অসমীয়া জাতিৰ ভাব, আহোম ভাষাৰ পুনৰুদ্ধাৰ, অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি, অসমৰ পুৰণি তথ্য-সংগ্ৰহ ইত্যাদি বিষয়ক চিন্তালোচনা দকৈ বহুৱায়। আৰু অনতিপলমে আপোনমনেৰে মই সেই সাধনাৰ সংকল্প অন্তৰস্থ কৰি আনে নজনাকৈ তাৰ তপস্যাত ধৰিলো।" ইয়াৰ পিছৰপৰাই পদ্মনাথৰ চিন্তালোচনা আৰম্ভ হ'ল; কিন্তু তেওঁ সেই কথা সদৰী নকৰিলে।

পদ্মনাথে স্কুলীয়া ছাত্ৰ হিছাপেই "জোনাকী" পঢ়িছিল, তাৰ দ্বাৰা আকৃষ্ট, তৃপ্ত হৈছিল। এতিয়া "জোনাকী"ৰ জোনাক সৃষ্টি কৰা জ্যোতিষ্কসকলক থুপিতৰাৰ দৰে স্বকক্ষত দেখা পাই তেওঁ একেবাৰেই বিমোহিত হ'ল। তেওঁ স্বীকাৰোক্তি কৰিছে, "স্বৰূপকৈ অসমীয়া সাহিত্য-চৰ্চ্চালৈ মন টনাৰ আকৰ্ষণী শক্তি এই 'জোনাকী' হে।" ইয়াৰ উপৰি বঙ্কিমচন্দ্ৰ, ৰবীন্দ্ৰনাথ, ঈশ্বৰচন্দ্ৰ আদি তেতিয়াৰ বঙ্গীয় সাহিত্যৰ মুধচ ফুটোৱাসকলৰ দৰ্শন লাভ কৰি বা সিসকলৰ ৰচনা পঢ়ি তেওঁ পুলকিত হৈ আছিল।

এই পৰিস্থিতিত তেওঁৰ "ক্ষন্তেকমানো নিশ্চেষ্ট হৈ ৰ'ব নোৱৰা" অৱস্থা এটাৰ সৃষ্টি হ'ল। তেওঁ কলিকতাত মাহচেৰেক থাকোঁতেই কৃষ্ণপ্ৰসাদ দুৱৰাই "বিজুলী" নামে মাহেকীয়া আলোচনী এখন উলিয়াবলৈ ধৰে। গোহাঞিবৰুৱা আৰু বেণুধৰ ৰাজখোৱাই "বিজুলী"ৰ দলত যোগ দিলে; প্ৰথমজনক অন্ততঃ "সেই 'বিজুলী' কাকতেই অসমীয়া

ভাষাত লিখিবলৈ বাট লগাই দিলে ।...এই 'বিজুলী'য়েই মোৰ আন্তৰিক সাহিত্যিক অনুৰাগ ক্ৰমাৎ উজলাবলৈ ধৰিলে... ।" তেওঁৰ পৰিধান চাহাবী পোছাক আৰু তাৰ জেপত "বিজুলী" তেওঁৰপৰা অবিচ্ছেদ্য হ'ল ; সেইভাৱেই তেওঁ সৰু-বৰ কোম্পানী আৰু দোকানী-কাৰবাৰী আদিৰপৰা "বিজুলী"ৰ বাবে বিজ্ঞাপন গোটাই আনি দি তেওঁ পাৰ্যমানে আগৰৱালাক সহায় কৰিছিল। ইফালে কাকতখনৰ দ্বিতীয় বছৰৰ দুই-এটা সংখ্যা ওলাওঁতেই আগৰৱালা কলিকতা এৰি আহিব লগীয়া হোৱাত গোহাঁই বৰুৱাই তাৰ সৰ্বভাৰ মূৰত তুলি ল'লে। স্বয়ং গুণাভিৰাম বৰুৱা আদিৰপৰা সহায় পালেও "মোক 'বিজুলী'য়ে নঙঠা ব'ৰাগী কৰিছিল ; —পিন্ধিবলৈ জোতা নাই, মেচৰ লগৰীয়া ছাত্ৰৰ আৰ-তাৰ ফটা-চিটা যি পাওঁ এযোৰ পিন্ধি বাহিৰলৈ ওলাওঁ ; তিয়াবলৈ তিয়নী নাই, আনৰ তিয়নী তিয়াই গা ধোওঁ, পোছাক বুলিবলৈ কোট-পেণ্ট-নাইট-ক্যাপৰ একেটা সাজ মাথোন। আবেলিৰ জলপানত মিঠাই খোৱা এৰি এক পইচীয়া ফলাহাৰ আৰু এনেই পোৱা চাহটোপাৰ লগত আৰু এপইচাৰ 'গৰমাগৰম' কচুৰী তিনিটা।" ইত্যাদি ব'ৰাগী আচৰণৰ কৃচ্ছ্ৰ সাধনৰ মূৰত তেওঁ কোনোমতে "বিজুলী"ৰ তৃতীয় ভাগ সম্পূৰ্ণ কৰিলে।

আমি জানো যে "বিজুলী"ৰ উদ্ভৱ "জোনাকী"ৰপৰাই, "জোনাকী"ৰ দলৰ দুজন ডেকাই বনগীতেৰে ঢকাডিঙৰা লগাই "ডেকা-গাভৰু" নামৰ এটি বস্তু উলিওৱাত তেওঁলোকৰ ৰুচিক শুচিবায়ুৱাসকলে অশ্লীল বোলাৰপৰাই। আন কি, এই কাৰণেই "জোনাকী"-"বিজুলী"ৰ মাজত কুযাৰি ভাব এটিও আছিল আৰু সেই ভাব পৰস্পৰৰ প্ৰতি তিতা-মিঠা বাক্য-বাণ প্ৰয়োগ কৰাত প্ৰকাশ পাইছিল। কিন্তু "জোনাকী"ৰ মূল প্ৰৱৰ্তকসকল "জোনাকী" দলতে ৰৈ গৈছিল, সিসকলৰ পিছ-ধৰাসকল মাথোন ফাটি "বিজুলী" দল হৈছিল। এতিয়া সেই দলৰ সকলো মাথোন নিষ্ক্ৰিয় সদস্যৰ দৰে হ'ল, গোহাঞিবৰুৱা অকলশৰীয়া পত্ৰৰ লেখীয়া হৈ পৰিল। প্ৰবন্ধ-সম্ভাৰৰ ফালৰপৰাও "বিজুলী"য়ে "জোনাকী"ৰ লগত ফেৰ মাৰিব নোৱাৰিছিল। কিন্তু দুইখন কাকতেই দুইখনৰ পৰিচালনাত কিছু ক্ষতিসাধন কৰিছিল। শেষত তিনি বছৰ পূৰ হওঁতেই "বিজুলী" নুমাই থাকিল। কৃতিত্বৰ ভিতৰত থাকিল লম্বোদৰ ৰৰা আৰু গুণাভিৰাম বৰুৱাৰ দুটিমান প্ৰবন্ধ আৰু গোহাঞিবৰুৱাৰ আন প্ৰবন্ধৰ লগতে তেওঁৰ "ভানুমতী" উপন্যাস। ইতিমধ্যেই "অসমীয়া উপন্যাস বুলিবলৈ আজিলৈকে এখনো পুথি ওলোৱা নাই। সেই অভাৱ আৰু দুৰ্নাম গুচাবৰ মনেৰেই 'লাহৰী' ৰচিবলৈ হাতত লোৱা হয়।" ১৮৯২ চনত এইখনি ছপা হৈ ওলাল আৰু পুথি আকাৰত ওলোৱা প্ৰথম অসমীয়া উপন্যাস বুলি পৰিগণিত হ'ল, কাৰণ বেজবৰুৱাৰ "পদুমকুঁৱৰী" আৰু স্বয়ং গোহাঞিবৰুৱাৰ "ভানুমতী" তেতিয়াও "জোনাকী" আৰু "বিজুলী"ৰ পাততে সিঁচৰতি হৈ আছিল, আৰু ইতিমধ্যে ওলোৱা এ. কে. গাৰ্নিৰ "কামিনীকান্ত" বা পদ্মাৱতী ফুকননীৰ "সুধৰ্ম্মাৰ উপাখ্যান," বা হেমচন্দ্ৰ

বৰুৱাৰ "কোৱাভাতুৰী"ক তেতিয়াও কোনেও উপন্যাস বুলি বিচাৰত নধৰিছিল। বাস্তৱিক পক্ষত কলা-কৰ্ম-ৰূপে "লাহৰী" আৰু "ভানুমতী" গোহাঞিবৰুৱাৰ শ্ৰেষ্ঠ কীৰ্তি বুলি মই ভাবোঁ। দুইখনিতে তৰুণ লেখকৰ অনাবিল অনুপ্ৰেৰণা সহজ ৰূপত প্ৰকাশ পাইছে। পিছৰ কালত তেওঁৰ সাহিত্যৰ-ক্ৰিয়া পঢ়াশলীয়া পুথি লেখাত পৰ্যৱসিত হৈছিল আৰু তাৰো পিছৰ লেখাবিলাকত (সম্ভৱতঃ এক "গাওঁবুঢ়া"ক বাদ দি) এক স্বয়ং-সচেতনতাই কলাগত উপলব্ধিৰ পথত কিছু অন্তৰায়ৰ সৃষ্টি কৰে।

কলিকতাৰ 'ছাত্ৰাধ্যা' 'মিছাই' গ'ল যদিও বৰুৱাদেৱে আনে "নেদেখাকৈ কাষলতিৰ তলত মোৰ মাতৃভাষা আৰু জাতীয় সাহিত্যসম্ভাৰৰ কঠীয়া-টোপোলা এটি অতি সন্তৰ্পণে লুকুৱাই লৈ আহিছিল। এতিয়া সেই টোমটি উলিয়াই বতৰ চাই কঠীয়া-তলিত পেলাবৰ বেলা হ'ল। এই উদ্দেশ্যে তেওঁ পোনতে কলিকতাৰ আহিত উত্তৰ লখীমপুৰত এখনি অ. ভা. উ. সা. সভা থাপনা কৰিলে। কিন্তু—এটা ডাঙৰ কিন্তু! দুইটি বন্ধু লগ লাগি ফণিধৰ চলিহা আৰু শিক্ষাধিকাৰ জে. উইলছনৰ লগত পত্ৰালাপ কৰি এই কিন্তুৰ ভয়াৱহ সত্যটি উপলব্ধি কৰিলে; "আমি যি ঘৰ সাজিবলৈ উথপ্‌থপ্ লগাইছোঁহক, তালৈচোন ভেঁটি চোঙ্গোৱা হোৱাই নাই।" এইটি হ'ল বৰুৱাৰ জীৱনৰ গতি-পথৰ এক পথ-নিৰ্দেশক উপলব্ধি, যি উপলব্ধিয়ে তেওঁক "লাহৰী" "মনোমতী"ৰ নিচিনা শুদ্ধ সাহিত্য-সৃষ্টিৰ ক্ষেত্ৰ এৰুৱাই "আমাৰ দেশৰ মজলীয়া আৰু ওখ খাপৰ স্কুল-পঢ়াশালিবোৰতো আমাৰ দেশী পাঠ্য পুথি"ৰ অভাৱ-পূৰণৰ সমস্যাত ব্যাপৃত কৰি দিলে। এই ব্যাপৃতিৰ প্ৰথম ফল হ'ল শ্ৰীপদ্মনাথ বৰুৱা শ্ৰীপাণীন্দ্ৰনাথ গগৈৰ সংগৃহীত সংকলন "সাহিত্য-সংগ্ৰহ।" ইয়াৰ পিছত আহিল বৰুৱাৰ তিনিছোৱা "নীতিশিক্ষা", "ভূগোল-দৰ্পণ", "অসমৰ বুৰঞ্জী" (১৮৯৯; শেষ ১৯শ তাঙৰণ, ১৯৩৭) আদি। বৰুৱাৰ প্ৰতি অসমীয়াভাষীসকলৰ কৃতজ্ঞতাৰ এটা বহল কাৰণ হ'ল এই পাঠ্য-পুথিৰ যোগান। "হাই স্কুলৰ সমুদায় শ্ৰেণীত অসমীয়া পাঠ্য পুথি প্ৰচলনৰ অভাৱ আৰু অসুবিধা নিৰাকৰণ হোৱা দেখি জাতীয় সাহিত্যানুৰাগী অসমীয়া সমাজেও বৰ সন্তোষ লাভ কৰিলে।" ইয়েই তেওঁৰ আটাইতকৈ ডাঙৰ পৰিচয়। কহিমাত আৰু তেজপুৰত মাস্টৰিয়ে বৰুৱাৰ জীৱনৰ পাঠ্যপুথীয়া ঢালটোকে সহায় কৰিলে মাথোন। তেওঁৰ প্ৰতিষ্ঠিত কহিমাৰ অ. ভা. উ. সা. সভা বা কহিমা সাহিত্য সভাৰ বিশেষ কিবা কীৰ্তি আছিল যদিও আমি নাজানো। পাঠ্য-পুথি বুলিও "অসমৰ বুৰঞ্জী", "বুৰঞ্জী-বোধ" বা "মহাৰাণী" গ্ৰন্থৰ সাহিত্যিক সোৱাদ এটি নোহোৱা নহয়; ঐতিহাসিক আলোচনাৰ ফালৰপৰা "অসমৰ বুৰঞ্জী"ৰ এটি স্থায়ী মূল্যই আছে।

১৮২১ শকত ১ মাঘৰ দিনা তেজপুৰৰ জয়দেৱ শৰ্মাক সম্পাদক কৰি গোহাঞি বৰুৱাই "অসম বন্তি" প্ৰথম প্ৰকাশ কৰে আৰু তেজপুৰৰ তথা অসমৰ 'ৰাইজীয়া' (ৰাজহুৱা) মতক গঢ় দিয়া আৰু অসমীয়া স্বাৰ্থৰ তদাৰক কৰিবৰ ভাৰ লয়। ই তেওঁৰ নতুন

সামাজিক ভূমিকা। একে শকৰে দুৰ্গা-পূজাৰ সময়ত বৰুৱাৰ পত্নী লীলাৱতীৰ মৃত্যু ঘটে; তেওঁ তাৰ এমাহৰ ভিতৰতে 'সংসাৰ-চিত্ৰ কাব্য' "লীলা" লেখি উলিয়ায়। মন কৰিব লগীয়া যে "লাহৰী" "মনোমতী"ৰ পিছত "লীলা"ই গোহাঞিবৰুৱাৰ ডাঙৰ সাহিত্য-কৃতি, যদিও মাজে মাজে তেওঁৰ দুই-এটি খণ্ডকবিতা অ'ত ত'ত প্ৰকাশ হৈছিল। গতিকে 'সৃষ্টিশীল' সাহিত্যৰ ফালৰপৰা তেওঁৰ জীৱনত এটা ডাঙৰ ছেদ পৰিছিল। এই সময়তে কেইবাটিও বিয়োগ-দুখ পদ্মনাথৰ কেইবাটিও শোক-কবিতাৰ জন্মৰ কাৰণ হৈ পৰিছিল। এনেতে তেওঁ দ্বিতীয় পক্ষৰ পত্নী-গ্ৰহণৰ সুযোগতে 'সংসাৰৰ বহাগী জহত চেঁচনি বিচাৰি পিয়া ঢোকাচেৰেক জুৰ অনুপানৰ অকণি অকণি বিৰিঙনি'ৰে "জুৰণি"ৰ লিৰিকবিলাক ৰচনা কৰে। ইয়াৰ ভিতৰতে কেইবাটিও ভাল কবিতা সোমাই আছে।

১৯০১-১৯০৭ কালছোৱা গোহাঞিবৰুৱা বাণ-ষ্টেজৰ সম্পাদক আছিল; সেই সময়তে হেমচন্দ্ৰ গোস্বামী আৰু বৰুৱাৰ ওপৰত "বাণ-ৰজা" নামে নাটক লেখাৰ ভাৰ দিয়া হৈছিল। কিন্তু গোস্বামী দুয়োৰা সময়লৈকে কোনোজনে একো নকৰিলে, যদিও ইতিমধ্যে গোহাঞিবৰুৱাই "গাওঁবুঢ়া" (১৮৯৭), "জয়মতী" (১৯০০), "গদাধৰ" (১৯০৭) "সাধনী" "টেটোন তামুলি" (১৯০৯), "সাধনী" (১৯১১) নাটক লেখি ছপাই উলিয়াইছিল "অভিনয় কৰিবৰ উপযুক্ত অসমীয়া নাটকৰ অভাৱ গুচাবৰ উদ্দেশ্যে।" শেহত "শ্ৰীকৃষ্ণ"-ৰচনাৰ 'এটা ঠেঙুলি মাথোন' হৈ "বাণ-ৰজা" নাট ১৯৩২ চনতহে কিতাপ আকাৰে ওলায়। ৰাইজৰ মানুহ হিচাপে তেজপুৰত গোহাঞি বৰুৱাৰ ৰাজহুৱা জীৱনেৰে যি সংসৰ্গ আছিল, এই কেয়োখন নাটক তাৰে ফল বুলি ক'ব পাৰি। আনফালে, চৰকাৰৰ ঘৰৰপৰা তেওঁক এখন "দেশী কচৰত"ৰ কিতাপ লেখাৰ উদ্দেশ্যে জব্বলপুৰ-নাগপুৰলৈ পঠোৱা হৈছিল; সেই কাম সমাপ্ত হোৱাৰ পিছতে তেওঁৰ তেজপুৰৰ নৰ্মাল স্কুল উঠন গ'ল আৰু তেওঁক হাই স্কুলৰ তল শ্ৰেণীত গুজি দিয়া হ'ল। শেহান্তৰত তেওঁ 'নবিয়া ছুটী' লৈ দীঘলীয়াকৈ আজৰি লৈ "অসম বন্তি"ৰ কামত লাগিল আৰু নানা আৱেদন-নিৱেদনৰ পিছত সাহিত্যিক পেঞ্চন (মাহে পঁচিশ টকি মাথোন) লাভ কৰিলে আৰু চাকৰিৰপৰাও অৱসৰ লৈ ১৯০৯ চনৰপৰা "নিশ্চিন্ত হৈ একান্ত মনেৰে জীৱনৰ বাকীছোৱা স্বদেশ, স্বজাতি আৰু স্বজাতীয় সাহিত্যৰ উন্নতিকল্পে উছৰ্গা কৰি হাতে কামে লগা হৈ মুকলিমূৰীয়াকৈ কাৰ্যাক্ষেত্ৰত আগ বাঢ়িবলৈ ধৰিলে।" স্কুলীয়া পাঠ্যৰচনাৰ আৱশ্যকতাৰ-পৰা তেওঁ এতিয়াহে মুক্ত হ'ল। ইতিমধ্যেই বৰুৱাৰ "উষা" (১৯০৪-০৯) নামৰ মাহেকীয়া আলোচনী—য'ত বেজবৰুৱা, গোস্বামী, সত্যনাথ বৰা আদি "জোনাকী"ৰ লোকসকলক আমি পুনৰ কলম ধৰা পাওঁ আৰু য'ত বিশেষকৈ গোস্বামী আৰু সোণাৰাম চৌধুৰীৰ প্ৰত্নতত্ত্বমূলক প্ৰবন্ধ প্ৰায় নিয়মীয়াকৈ প্ৰকাশ পাবলৈ ধৰে আৰু সূৰ্য্যকুমাৰ ভূঞা, দণ্ডিনাথ কলিতা, পদ্মধৰ চলিহা আদি নতুন বানৰ কবি-লেখকসকলেও য'ৰ মাধ্যমেদি আত্ম-

প্ৰকাশৰ সুযোগ পায়। কিন্তু "উষা"ত প্ৰকাশিত কৃপাবৰ বৰবৰুৱাৰ এটা লেখাত "বিদ্ৰোহব্যঞ্জক আঁসোৱাহ ধৰি" ছৰকাৰে সম্পাদকৰ "কৈফিয়ৎ তলব কৰি কেদিনমান গুৱাহাটীত মোক নজৰবন্দীকৈ থোৱা আপদে পাই 'উষা'ক লটিঘটিকৈ আমনি কৰিলে।" সেই লটিঘটিতে "উষা"ৰ কঁকালৰ জোৰা লৰিল। ইতিমধ্যে "আসাম বান্ধৱ", আলোচনী" আৰু স্বয়ং বেজবৰুৱাৰ "বাঁহী"ৰ আৱিৰ্ভাৱ হ'ল। গতিকে পাঁচ বছৰতে "উষা"ৰ জীৱন-কাল সমাপ্ত হ'ল।

গোহাঞিবৰুৱা সাহিত্যিক জীৱন-ধাৰাৰপৰা পুনৰ আঁতৰি যাব লগীয়া হ'ল যেতিয়া ১৯১৩ ছনৰ একেবাৰেই পোনৰেপৰা নৱ্য অসম বিধান সভাৰ (কাউঞ্চিল) আহোম সম্প্ৰদায়ৰ মাজৰপৰা মনোনীত সদস্য আৰু ১৯২১-ৰেপৰা নিৰ্বাচিত সদস্য হ'ব লগীয়া হ'ল আৰু আনফালে নানা ৰাজহুৱা কামতো ব্যাপৃত হ'ব লগীয়া হ'ল। মাথোন ১৯১৭ ছনত শিৱসাগৰত বহা ৰাজনৈতিক সংস্থা আসাম এছোচিয়েচনৰ লগতে বহা অসম সাহিত্য সভাৰ প্ৰথম বৈঠকৰ বৰুৱা ডাঙৰীয়া সভাপতি হয়। কিন্তু ১ ১১ ছনৰপৰা ১৯২৭ ছনলৈ এই এটা যুগৰ ছেদত গোহাঞিবৰুৱাৰ সাহিত্য-সৃষ্টি নাই। এই কথা লৈ অনেকজনে আক্ষেপ কৰিবলৈ ধৰিলে আৰু গোহাঞিবৰুৱায়ো "ঘৰৰ ল'ৰা ঘৰলৈ উলটি অহাৰ দৰে অনতিপলমে আজীৱন কৰ্ম্মব্ৰত সুমৰি পুনৰপি সাহিত্য-চৰ্চ্চাত ধৰিলে।" তেজপুৰৰ ৰঙ্গমঞ্চৰ বাণস্টেজ নাম হোৱাৰেপৰা প্ৰতিশ্ৰুত "বাণ ৰজা" নাটক তেওঁৰ ৰচনা কৰে আৰু ১৯৩৪ ছনত সি ওলায়। কিন্তু সেই নাটকো গোহাঞিবৰুবাৰ এখন ডাঙৰ আঁচনিৰ উপোৎপন্ন পদাৰ্থহে। পাশ্চাত্যৰ প্ৰাচ্যবিদ পণ্ডিতসকলৰ পথ ধৰি বঙ্কিমচন্দ্ৰ, হেমচন্দ্ৰ ৰায়চৌধুৰী আদিয়ে মহাভাৰত আৰু পুৰাণৰ অৰণ্যৰ মাজৰপৰা এজন ইতিহাস-সিদ্ধ (historical) কৃষ্ণৰ চৰিত্ৰ উলিওৱাৰ যত্ন কৰিছিল। এই চৰিত্ৰটোৱে নানা লেখকৰ কল্পনাৰ মাজেদি এক নীহাৰিকাৰ ৰূপ ধাৰণ কৰিছিল আৰু ভাৰতীয়সকলে সেই কথাৰ সমীক্ষক বিচাৰ নকৰি 'কৃষ্ণস্তু ভগৱান্ স্বযম'তে আপ্লুত হৈ আছিল, সেই কথা আজিকালি আমি অশ্ৰদ্ধাশীল যুগৰ মানুহে নিৰ্বিবাদে মানি লওঁ। কিন্তু গোহাঞিবৰুৱাই যেতিয়া ঐতিহাসিক কৃষ্ণ এজন উলিয়াবৰ যত্ন কৰিছিল, তেতিয়া আপনাৰ গোসাঁইৰ গাৰ ৰাংপতাবোৰ গুচাবৰ কাৰণে যি ডাঙৰ সাহ লাগে, তেতিয়া সি নুকুলাইছিল। গতিকে তেওঁ যিটো প্ৰস্তাৱ পোনতে আগ বঢ়াইছিল, শেহান্তৰত তেওঁ স্বীকাৰ কৰিব লগীয়া হ'ল যে তাৰ বিৰুদ্ধেই তেওঁ মত দিব। এই বিষঙ্গতিৰ মাজত হয়তো তেওঁৰ ঈপ্সিত ঐতিহাসিক কৃষ্ণ এজন নোলাল। কিন্তু তেওঁৰ তিনিখণ্ড "শ্ৰীকৃষ্ণ"ৰ ভিতৰত বিবিধ আকৰ-গ্ৰন্থৰপৰা সংগৃহীত কৃষ্ণৰ ছবিবোৰ আমাৰ কাৰণে একেটা এলবামতে বৈ গ'ল। ঐতিহাসিক কৃষ্ণৰ গৱেষণা কৰা অলেখ গ্ৰন্থ আৰু প্ৰবন্ধ ইতিমধ্যে ওলাই গৈছিল। সিবোৰ হয়তো পোৱাৰ পথৰপৰা বৰুৱাদেৱ বহুত আঁতৰত ৰ'ল। কিন্তু সংস্কৃত ভাষাৰ অনুচ্চ জ্ঞান আৰু

ভাৰতীয় দৰ্শনৰ লগত তেওঁৰ অপৰিচয় সত্ত্বেও গোহাঞিবৰুৱাই আমাক উপভোগ্য বিৱৰণ দিছে ; তাৰ মূল্য বহুত পৰিমাণে তেওঁৰ শ্ৰমশীল গদ্যশৈলীয়ে নিৰূপণ কৰিছে। "শ্ৰীকৃষ্ণ" তেওঁৰ মেগ্নাম্ ওপাছ্, শেষ অ'ৰু শ্ৰেষ্ঠ গ্ৰন্থ। "বাণ ৰজা" আৰু "গীতাসাৰ" এই প্ৰযত্নৰ উপফল।

ওপৰত থূলমূলভাৱে মই পদ্মনাথ গোহাঞিবৰুৱাৰ সাহিত্যিক জীৱন-বৃত্ত দিবৰ যত্ন কৰিলো। এতিয়া যদি মোক কোনোবাই প্ৰশ্ন কৰে, এটা বিষম পৰিস্থিতি সমুপস্থিত হৈছে, যাৰ ফলত বৰুৱাৰ সকলো গ্ৰন্থ নষ্ট হৈ যায়, তাৰ মাজৰপৰা চাৰিখন পুথি তোমাৰ বাছনিমতে ৰাখিব পাৰা ; এতিয়া কোন চাৰিখন বাছিবা ?—এনে বিষম পৰিস্থিতিত মই কোনো দ্বিধা নোহোৱাকৈ ক'ম, "লাহৰী", "ভানুমতী", "গাওঁবুঢ়া" আৰু "শ্ৰীকৃষ্ণ", এই চাৰিটি বস্তু পালেই গোহাঞিবৰুৱাৰ কলা-কৰ্ম আৰু চিন্তাৰ উৎকৃষ্টখিনি পোৱা হ'ব। তেওঁ লেখাৰ মূল্যায়ন আৰু অসমীয়া সাহিত্যত তেওঁৰ স্থান নিৰ্ণয় কৰিবৰ কাৰণে আমি প্ৰকাশন পৰিষদৰ গ্ৰন্থাস্থৰ "পদ্মনাথ গোহাঞিবৰুৱা"ত যত্ন কৰিছো। এই ভূমিকাৰ পাঠকসকলক তালৈকে নিমন্ত্ৰণ জনালো। তেওঁ "জোনাকী"ৰ পোনৰ পুৰন্দৰ-সকলৰ ভিতৰত নহ'লেও "জোনাকী"ৰ সাহিত্য-আন্দোলনত যোগ দিয়া দুতি পুৰন্দৰ-ৰূপে অসমীয়া সাহিত্যত এখন নিজস্ব আসন অধিকাৰী। তেওঁ কৰ্মজীৱনৰ আগভাগ শিক্ষকতা, বিশেষকৈ বঙলা আৰু নৰ্মাল স্কুলৰ শিক্ষকতাত অতিবাহিত হৈছিল আৰু পিছভাগ মিউনিচিপেলিটি আৰু কাউন্সিলৰ ৰাজনীতিয়ে সামৰি লৈছিল। তাৰ মাজত যে তেওঁ উচ্চাঙ্গৰ সাহিত্যৰ চৰ্চাত লাগিব পাৰিছিল, সিহে তেওঁৰ মহত্ত্বৰ পৰিচয় আৰু অসম-অসমীয়াক ভাল পোৱাৰ চিন। একক প্ৰকৃতিৰ কবি, ঔপন্যাসিক, নাট্যকাৰ, নিবন্ধকাৰ একো নোহোৱাকৈয়ে বহুত ক্ষেত্ৰতে পথ-প্ৰদৰ্শকৰূপে, ভাষাৰ হৈ যোদ্ধা-ৰূপে গোহাঞি বৰুৱাই আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত বিশেষ স্থান লৈ থাকিব।

২৯ অক্টোবৰ ১৯৭১
৬, বিশ্ববিদ্যালয় টোল, গুৱাহাটী

মহেশ্বৰ নেওগ

সূচীপত্ৰ

সাধনী	১
জয়মতী	৩৯
গদাধৰ	৭৯
বাণৰজা	১২৫
লাচিত বৰফুকন	১৯৫
গাওঁবুঢ়া	২৪৯
টেটোন তামুলি	২৮১
ভূত নে ভ্ৰম	৩১১
জুৰণি	৩৩৭
ফুলৰ চানেকি	৩৫৭
লীলা	৩৮৭
লাহৰী	৪১৫
ভানুমতী	৪৮১
শ্ৰীকৃষ্ণ	৫১৫
সভাপতিৰ অভিভাষণ	৮৭১

সাধনী

১। পাতনি

“সাধনী” সাধিবৰ ভালেমান দিন হল। আৰুবেলি, এনে দিনতে, সমল হাতত লৈ ‘সাধনী’ শোধাওঁ বুলি ওলাইছিলোঁ; পিচে, বিবিধ কাৰ্য্যৰ ভিৰ ভাঙ্গি সেই বছৰৰ ভিতৰত সেইফালে আগবাঢ়িবলৈ চল নাপালোঁ। কিন্তু, এইবেলি সাধনীদাৰ ‘কটন কলেজ’ৰ ছাত্ৰ-বন্ধুসকল ‘ক্ৰোকী-পৰওনা’ৰে সৈতে হাজিৰ! তাৰ ভিতৰত আমাৰ প্ৰিয়-ছাত্ৰ শ্ৰীমান্ চন্দ্ৰনাথ শৰ্ম্মা বি, এ, ঘাই। গতিকে, নিতান্তই উপায়ান্তৰ হৈ ঢৌতে-থৰ-মৰাৰ নিচিনাকৈ, যোৱা একুৰি-এদিনৰ ভিতৰত থৰ্‌ধৰ্‌কৈ “সাধনী”ক উলিয়াই দি, ক্ৰোকী দায়ৰপৰা ৰক্ষা পৰা গল। এতেকে, “সাধনী”ক যেয়ে এফেৰ আদৰ কৰিব, সেয়ে নিজৰ চকুত লগাকৈ সজাই ললে হে হব, আমি পিন্ধাই পঠিওৱা সাজ-পাৰত বহু ত্ৰুটী ৰৈ গৈছে।

গাব নাজানিও শুনিব জনা সাধনীক শুনাবৰ অৰ্থে, সখীয়া ‘শান্তি’ আইটীক আৰু নাচনিয়াৰ লিগিৰীহঁতক যি কেইটি গীত আওৰাবলৈ দিয়া গৈছে, তাৰ মূলৰ হে আমি গৰাকী, বাকী তাল-মান-স্বৰ আদি গুণৰ বাবে আমি গাব নজনাক সদায় অনুগ্ৰহকৈ গাই শুনাওঁতা আমাৰ প্ৰিয়বন্ধু স্বনামখ্যাত সঙ্গীত-অধ্যাপক স্বৰ্গীয় লক্ষ্মীৰাম বৰুৱাদেৱ হে সম্পূৰ্ণ শলাগৰ পাত্ৰ। ইতি—

তেজপুৰ, ৮ ভাদ, ১৮৩৩ শক

বিনীত
শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

২। পাতনি

“সাধনী”য়ে পোহৰলৈ ওলায়েই গুণগ্ৰাহী ৰাইজৰপৰা ইমান আদৰ লাভ কৰিলে যে, ইয়াৰ আদৰুৱা প্ৰথম তাঙ্গৰণ মুঠেই ডেৰবছৰমান হে টিকিলে; তাৰপৰা আজি ভালেমান বছৰ “সাধনী” ছপাৰ-বাজ (out of print) হৈ আঁতৰত তিৰ্‌বিৰাই ৰব লগাত পৰিছে। কিয়নো, এই গ্ৰন্থকাৰৰ পঢ়াশলীয়া পাঠ্যপুথিবোৰ (Text-Books) নতুন নতুন তাঙ্গৰণ ঘনাই ঘনাই উলিয়াব লগা হোৱাত, তেওঁ তেওঁৰ বাজে-পুথিবোৰৰ নতুন তাঙ্গৰণ উলিয়াবলৈ ততকে পোৱা নাই এপোন; “সাধনী” বাজেপুথি বুলিও, ই অসমৰ প্ৰথম শ্ৰেণীৰ নৰ্ম্মাল স্কুলৰ তৃতীয় বাৰ্ষিক শ্ৰেণীৰ নিমিত্তে নিৰ্দ্ধাৰিত টেক্সট্‌বুক; সেই হে আন-বোৰতকৈ ই এবেগলৈ আগ হব পাৰিছে। দ্বিতীয় তাঙ্গৰণত পুথিৰ নাটকীয়া ঠগত মুঠেই হাত দিয়া নাই, মাথোন সাহিত্যিক গঠনত হে লাগতিয়াল সংস্কাৰ সাধিবৰ অৰ্থে ওপৰে-ওপৰে এবাৰ হাতফুৰাই দিয়া গৈছে। “সাধনী”য়ে আশাতীত আদৰ পোৱা বাবে গ্ৰন্থকাৰে এই লগতে ৰাইজলৈ এথনি শলাগৰ শৰাই আগ বঢ়াইছে। ইতি—

তেজপুৰ, অসম
বহাগ, ১৮৫১ শক

গ্ৰন্থকাৰ

উছর্গা

সাধনী

বাজ-নৌ-ওলাওঁতেই

যি

হেঁপাহেৰে ইয়াক কোলাত লৈছিল,

সেই

চেনেহৰ মাজিউ ভাগিন্

শ্ৰীমান্ মহেন্দ্ৰনাথ গোহাঞি ফুকন,

এম, এ, বি, এল, এম, এল, চি,

'মাজিউ মইনাৰ' কণ্ঠত ইধাৰি

"সৰু-মামাৰ"

আশীষ্-মালা

গ্ৰন্থকাৰ

ভাওবিলাক

মতা

ধৰ্ম্মধ্বজ … … ছুটীয়া ৰজা।

নিতাই,—নীতিপাল … সাধনীৰ স্বামী,—ছুটীয়া ৰজা।

নালীয়া… … … নিতাইৰ সমনীয়া বন্ধু।

চুহুম্মুং… … … আহোম স্বৰ্গদেৱ।

কন্‌চেং বৰপাত্ৰ গোহাঞি আহোম মন্ত্ৰী-সেনাপতি।

ছুটীয়া মন্ত্ৰী, ছুটীয়া সেনাপতি, সভাসদ, সভাপণ্ডিত, পাৰিষদ, ৰাজখোৱা, সমনীয়া, ন-বিষয়া, ভগা-বিষয়া, কটোৱাল, বন্দীপাল, ছুটীয়া সৈন্য, আহোম-সৈন্য, কন্যা-প্ৰাৰ্থীগণ, দৰ্শকবৃন্দ ইত্যাদি।

মাইকী

লীলাৱতী … … … ধৰ্ম্মধ্বজৰ পত্নী।

সাধনী … … … ধৰ্ম্মধ্বজৰ জীয়াৰী।

শান্তি … … … সাধনীৰ সখী।

লিগিৰী, নাচনী ইত্যাদি।

সাধনী

আভাস

(দুফালৰপৰা দুগৰাকী গায়িকাৰ প্ৰৱেশ)

গীত

ধানি শ্ৰিত—একতালা

শূন্যে শূন্যে হাঁয়, ময়াপী চৰাই,
কেনি উৰি আহি কেনি গুচি যায়!
ঘূৰি ঘূৰি চাওঁ, জানো দেখা পাওঁ,
কোনে দিয়ে কই আছে নে কি নাই॥
কিহে উদগায়, উৰে কিয় মন,
উৰিয়ে জুৰায় উদাস পৰাণ;
এই চকু-লোৰ, নপৰে নে ওৰ,
বই বই বই ধীৰে বই যায়;
মন্দাকিনী-ধাৰ ধীৰেৰে ধায়॥
নাজানো কোনোবা আহে আৰু যায়,
কিয়বা চাপেহি কিয়বা পলায়;
যাওঁ উটি-বুৰি, নাহোঁ আৰু ঘূৰি,
কেউ পিনে হুল, মানুহ-ত্ৰিশূল,
কত আহে যায়, ইঁহা-কন্দা চাই,
কোনো ৰজা হয় কোনোবা হেৰায়॥

(দুইৰো দুফালে প্ৰস্থান)

প্ৰথম অঙ্ক

প্ৰথম গৰ্ভাঙ্ক—অন্তঃপুৰ

(ধৰ্ম্মধ্বজ আৰু লীলাৱতী)

ধৰ্ম্ম।—কিনো কম!
সাধি সাধি সাধনীক পালোঁ,
সাধনীক থবলই ঠাই নেদেখিলোঁ।

লীলা।—ঠাই নাই
থবলই সাধনী পোনাক!
কিবা কোৱাঁ প্ৰাণনাথ? নুবুজো কথাৰ পাক।

ধৰ্ম্ম।—নাই ক'তো ঠাই।
বিচৰালোঁ চউদিশে
কটকী পঠাই; যোগ্য পাত্ৰ নাই ক'তো,
ৰূপে-গুণে-জ্ঞানে সমনীয়া সাধনীৰ।
সুশিক্ষিতা সুচৰিত্ৰা সাধনী-সমানে
ৰূপৱন্ত-গুণৱন্ত শুদ্ধ চৰিত্ৰৰ
নাপাওঁ যত্যপি এটি পুৰুষ-ৰতন,
পাত্ৰ ক'ত, থওঁ মোৰ একেটি সন্তান!

লীলা।—চউদিশে!
কোন্ চউদিশে প্ৰাণনাথ?

ধৰ্ম্ম।—স্বৰ্গ, মৰ্ত্ত, কাম আৰু
সৌমাৰ পীঠত বহুত প্ৰবন্ধে ঘূৰি
আহিল কটকী; নাপালে সুযোগ্য পাত্ৰ
ৰূপে-গুণে-জ্ঞানে।

লীলা।—যি কৰে ঈশ্বৰে নাথ,
মানুহৰ ভালৰ কাৰণে; আমি মাথোঁ
নুবুজোঁ মহিমা!

ধৰ্ম্ম।—কি ভাল ভাবিছা হাঁয়!
কত কাল নিঃসন্তান হই পৃথিৱীত
যাপিলোঁ জীৱন,—দুখীৰো দুখীয়া প্ৰায়,—
অতৃপ্তি অশান্তি খেদ সন্তাপত পৰি।
কতনা ভাগ্যৰ ফলে, কত পূজা-সেৱা আৰু
যাগ-যজ্ঞ গুণে লভিলোঁ সন্তান এটি;—
বহু সাধনাৰ ফল সাধনী ৰতন।
পৰিল হৃদয় শাঁত ক্ষণ কাললই।
কিন্তু হাঁয়, অচিৰতে চিন্তাৰ বিকাৰ
বাঢ়িব ধৰিলে পুনু,—পাত্ৰ-ভাবনাত—
বয়সে বাঢ়িল যেই চেনেহী সাধনী।
পাচিলোঁ চৌপাশে চৰ সুপাত্ৰ বিচাৰি,
বহু আশা কৰি; নাপাই সুযোগ্য পাত্ৰ
ঘূৰিল কটকী! ভাবিছানে ইয়াকেই
ভালৰ কাৰণ?

লীলা।—ভাবিছোঁ ইয়াকে।
ঈশ্বৰে যি কৰে নাথ, মানুহ-কাৰণে,
নাই তাত ভুল-ভ্ৰান্তি, অপায়-বিঘিনি,
সকলো মঙ্গল মাথোঁ মায়া-সংসাৰত;
—ধ্ৰুৱপ বিশ্বাস মোৰ।

ধৰ্ম্ম।— মোৰো সি বিশ্বাস।
কিন্তু হাঁয়, কি কৰোঁ উপায়; কিনো মতে
সাৰোঁ এবে কন্যা-দায়!

লীলা।—নালাগে ভাবিব নাথ!
নাপাওঁ যদ্যপি পাত্ৰ দূৰ-বিদেশত,
বিচাৰোঁ এতিয়া নিজে নিজৰ ৰাজ্যত।
মিলে যদি, ভাগ্যে মোৰ, এই ৰাজ্যতেই
মনে-বচা বৰ হাঁয়, সাধনী-কাৰণে,
বাছা মোৰ থাকিব কাষতে; দেখি প্ৰাণ
জুৰ হব মোৰ! সেই হে ভাবিছোঁ নাথ,
অতি উলাহেৰে —ঈশ্বৰে ভালকে কৰে,
মানুহ-কাৰণে।

ধৰ্ম্ম।— ভাবিছাঁ নে প্ৰিয়া হেৰা,
নোৱাৰা নাই ময়ো সেই ভাব? পাওঁ যদি
যোগ্য পাত্ৰ আপোন ৰাজ্যত, ইচ্ছা কৰি
নিলগাওঁ একেটি সন্তান মোৰ!—কিন্তু
দুৰদৃষ্ট হাঁয়! ইৰাজ্যত নাই কোনো
ৰূপে-গুণে-জ্ঞানে, যোগ্য পাত্ৰ পাবলই
সাধনী কাৰণে।

লীলা।—নহয় সম্ভৱ নাথ,
এজনতে ৰূপ-গুণ-জ্ঞান সমাবেশ।
সততে দেখিছোঁ মাথোঁ—একৰ উপৰি
দুই থাকে যাৰ গাত, সেয়ে সুপুৰুষ।
এতেকে বিচাৰা পুনু আপোন ৰাজ্যতে
সুপাত্ৰ সিৰূপ।

ধৰ্ম্ম।— ভাল বাৰু,
ভাবি চাওঁ কি পাৰোঁ কৰিব।
ঈশ্বৰ কৰুণাময় আছে ওপৰত,
তেওঁ হে কৰোঁতা, আমি কাৰণ মাথোন।
ইচ্ছাময় তেওঁ; সেই ইচ্ছা ফলে মাথোঁ
নৰৰ ভাগ্যত। ভাগ্যত যি আছে লিখা
অৱশ্যে ফলিব; ভাগ্যে যেন ফলিয়ায়—
("ঈশ্বৰে যি কৰে ভাল মানুহ কাৰণে।")
চাওঁ বাৰু, ভাবি-চিন্তি নীৰৱলে এবাৰ;
কৰিম মীমাংসা পাচে প্ৰকাশ্যে সভাত,
আলচি মন্ত্ৰীৰ সতে সভাসদে মিলি।

(মৌন)

লাগিছে বিষম অতি দেহ মন-প্ৰাণ,
উগুল-থুগুল ভাব খেলিছে হিয়াত!
ফুৰোঁগই নিজানত উদ্যানৰ ফালে;
লগজনে শান্তি-ভঙ্গ কৰে মাথোঁ মোৰ।
যোৱাঁ প্ৰিয়া পালাগই গৃহধৰ্ম্ম তৱ;
যাওঁ মই, আহোঁ ফুৰি অন্তৰ জুৰাই!

(দুইৰো দুফালে প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

ফুলনি

(সাধনী আৰু শান্তি)

শান্তি।—শান্তি নাম ধৰিলোঁ মিছাই!

সাধনী।—কি সখী?

শান্তি।—প্ৰয়োজন শান্তি য'ত,
পৰা নাই দিব তাত লেশমাত্ৰ তাৰ,—
শান্তি-সুধা সখীয়াৰ বুজনি সুৰত।
দিনকে মলিন দেখিছোঁ মুখানি তৱ
কিবা আবেগত, মুফুটে হিয়াৰ ভাব
অধৰ পাহিত,—বিৰিঙ্গি উঠিছে মাথোঁ
মুখ-দাপোণত।

সাধনী।—সৰ্ব্বজান সখী তুমি,—
হাঁহিমুখে মন ছলি, প্ৰৱেশি অন্তৰ,
চুৰ কৰা মনোভাব ভাবুক জনৰ।
বাকী নাই বুজিবৰ মনোভাব মোৰ।
কিন্তু সখি! কিনো ক'ম, আপুনি বুজিব
নোৱাৰোঁ আপোন ভাব। কি দিম উত্তৰ!

হুবুজোঁ আপুনি—লাগে কিনো, কিবা নাই,
কিহেতু উদাস!
শান্তি।—বুজিছোঁ ভাবতে ভাব।
বুজিবৰ বাকী মাথোঁ,—জলে কোন সিটি
উদাস প্রাণত।
সাধন।—থক বাকী।
নালাগে জানিব সিটি কোন।
জনাবৰ যোগ্য পাত্র নোহে সেই ধন।
শান্তি।—জানিবৰ যোগ্য নোহোঁ আমি!
সাধনী।—থোৱাঁ সখী,
নকৰা চুপতি! সৰল চিতেৰে কওঁ,
আতিকে সামান্য পাত্র মোৰ সেই ধন।
নালাগে জানিব তুমি, নালাগে জগতে,
নেদেখাতে থক গুপ্তমণি!
শান্তি।—বাৰু সখী,
নকৰোঁ চুপতি। চুপতিৰ যোগ্যজন
আছে নেদেখাত। নীৰৱে, নজনাকই;
—থাকোঁ হাঁহি-মাতি।
সাধনী।—নাপাতিবাঁ ৰোহ সখি!
ভাবিছা যি তুমি, হব পাৰে সিও এক
উদাস কাৰণ। কিন্তু সখী, প্রাণ মোৰ
হইছে কাতৰ, দেখি-শুনি সংসাৰৰ
প্যাক-চক্র, কুটীলতা, অধৰ্ম্ম-অনীতি।
কিমতে পোনাব পাৰি সেই বেঁকা গতি,
ভাবোঁ ছেগ বুজি। কত পাতোঁ, কত ভাঙোঁ,
নাই সীমা-শেষ, নাপাওঁ উৰাধি তাৰ।
শান্তি।—ফুলত শিলৰ ৰেখা!
নোশোভে তোমাত ইসৰ ভাবনা সখি!
ঢোপা-কলি তুমি, কিয় ভাবা কীটে ধৰা
ফুলৰ দুৰ্দ্দশা!
সাধনী।—দেহি অই,
চোৰাঁ কেনে মিলিছে খিতাতে!—
চোৰাঁ কেনে ফুল-পাহি আউলী-বাউলী,
কলিটিৰ মুখ চাই আছে ঠৰ লাগি!
চোৰা নাই নিজলই,—নিজ সুখ-দুখ,—
চাইছে মাথোন কলিটিৰ মুখলই,—
যাব যেন দিন তাৰ এনুৱা সুখত।
ফুলিলেই সখী অই, হব তাৰো দশা
বাউলী পাহিটীপ্রায়। তাকেহে গুণিছে,
পৰৰ সুখত পমা আজলীটী দেহি!
কিন্তু সখি! পাহিটীৰ হুপুৰে কামনা,—
ঢোপাকলি ফুলিব কালত, দশা তাৰ
হব ঠিক পাহিটীৰ প্রায়। মেলোঁ মেলোঁ
পাহিকিটি মেলিব যিদিনা, সিদিনাই
কীটে আহি লব খিত, কৰিব ঘৃণীয়া,
নৰব জেউতি আৰু লুকুৱা হাঁহিৰ।
সৃষ্টিৰ ৰীতিয়ে এই,—জন্ম, বৃদ্ধি, ক্ষয়
চিৰকাল কাৰো দিন সমানে নাযায়!
বাঢ়েমানে আগলই বেঁকাবেঁকি বাট,
আৰু কত আওপাক ভৱ-সংসাৰৰ
পাৱলৈ আছে জীৱনত। ভাবোঁ তাকে,
পাওঁ বুলি তত্ত্ব কিবা সৃষ্টি-কৌশলৰ।
শান্তি।—কঠুৱা পুৰুষ-ভাব!
নোহে নাৰী-ৰীতি।
সাধনী।—পুৰুষ কঠুৱা বুলি
ত্যজ্য নোহে সিটি। কঠিনে-কোমলে মিলি
পুৰুষ-প্রকৃতি জানা, সৃষ্টি স্বৰগত;
তাৰে আহিঁ নৰ-নাৰী এই পৃথিবীত।
এতেকে, কঠুৱা বুলি নিলগোৱাঁ যদি
পুৰুষ-ৰতন, প্রকৃতি তিষ্ঠিব ক'ত?
গছত বগাই সউ চোৱাঁ লতাজুপি
কঠিনে-কোমলে কেনে হইছে মিলন!
ইটিয়ে সাবটি ধৰি সিটিক জুৰায়,
সিটিয়ে শৰীৰ পাতি ইটিক গুৱায়!
এটি সদা আনটিৰ জীৱন সাৰথি;—
তাৰে ফল মাথোঁ এই সংসাৰ-কানন।
এয়ে জানা, আহিঁ সংসাৰৰ। লতা হই
ৰ'দ-তাপ গুচায় গছৰ; সেই ৰূপে,

নাৰী হই পুৰুষৰ শোক-তাপ-দুখ,
অধৰ্ম্ম, অনীতি আৰু কুটিল স্বভাৱ
আমিও গুচাব লাগে।—এয়ে নাৰী-নীতি।
শান্তি।—পণ্ডিতা ৰমণী তুমি।
তোমাস'তে আমাসাৰ নবজে কথন।
যাওঁ সখী হেৰা, মৰবিৰা দায়-দোষ;
কৰিলোঁ আমনি।
সাধনী।—নাযাবা সখীটি অই!
নাপাতিবা ৰোহ। নাপাতোঁ আজিৰপৰা
এছুৱা কঠুৱা মেল, বেয়া পোৱা যদি।
ভাল কথা, পৰিছে মনত,--গোৱা সখি,
গোৱা এটি গীত। গাইছিল এতিয়াই,
কুলিটিয়ে সউ গছৰ ডালত পৰি।
কিযে কণ্ঠ! কি যে স্বৰ। পঞ্চমৰ তান!
—কি দিম তুলনা তাৰ!
শান্তি।—লগা নাই ভাল হেৰা,
কিনো গীত গাম! তোমাৰে বাচনি, বাৰু
সংসাৰ-বিৰহ গীত নৱ প্ৰেমিকৰ,
গাওঁ শুনা এটি।

গীত

খাম্বাজ জংলা -লক্ষ্ণৌ ঠুংৰী

আহা কি কিৰণ দিয়ে তৰুণ অৰুণে;
উষাৰ প্ৰভাৱে মিলি বাঢ়ে ক্ষণে ক্ষণে।
মিলন-ৰহণ সানি, উষা-বেলি হাঁহি হাঁহি,
দুটি প্ৰাণ এটি হয় পবিত্ৰ মিলনে।
মিলনে জীৱন সাৰ, মিলনতে লয় যাৰ,
কি আছে তুলনা তাৰ জগত-জীৱনে।
ৰচিলা হে প্ৰভু যাক, নতুন মউৰ চাক,
সজোৱা হৃদয় তাৰ এনেহে যতনে;—
নিঘূণী সংসাৰ ছবি, ফুলে যেন পুণ্য ৰবি,
আদৰ্শ জীৱন হয় সংসাৰী কাৰণে॥
সাধনী।—ধন্য সখি! (নীৰৱ)
ধন্য তুমি, ধন্য তব গীত!
শান্তি হল আৰু।
বলা যাওঁ, নকৰোঁ পলম।
তুইৰো বিচাৰ জানো লাগিছে ঘৰত।
(প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

গৰখীয়া-পথাৰ

(নিতাই, নালীয়া আৰু সমনীয়া)

সমনীয়া।—হেৰ নিতাই, নিতাই!
নিতাই।—কি অ'? কিনো হেকাই হেকাইকৈ থাক!
নালীয়া।—অ' নিতাই গুচি হেকাইহে হলিনে? বাৰু, তেন্তে হেকায়েই।
নিতাই।—এঃ কিয় কৰ তেনেকৈ ককাই!
সমনীয়া।—নকৰনো কিয়? তোক দেখোন মাতিলেই জগৰ লাগে।
নিতাই। এ নহয় বুপাই, বেয়া নাপাবি, মই আন কিবা এটালৈ মনকৈ আছিলোঁ। ই মাতিলত সি চাট্‌কৰে নাইকিয়া হল।
সমনীয়া।—কিহলৈনো মন কৰিছিলি?
নালীয়া।—কিনো ৰাজপাটখন থাবলৈ ভাবিছিলি অ'?
নিতাই।—এৰা, জানিবা ৰাজপাটেইহে। ঢুকি নোপোৱা বস্তুলৈ হাত মেলোঁতেইতো মোৰ এই দশা!
নালীয়া।—ঔ আই, কিনো ঔ! হেৰ ভাঙ্গি কচোন কি, আমিও ভাগ পাওঁ বা!
নিতাই।—এৰা, ককাই, অথনিৰ সেই বেলিপকাটোলৈ মনত পৰিছিল। (মনতে) অহ, সেই বেলিপকা আৰু এই বেলি-পকা! দুয়ো মোৰ আদি বাসনাৰ বস্তু!
নালীয়া।—আও! আচল ৰাজপাটখন! নিতাই ৰজাৰ ৰাজভোগেইহে হয়!
নিতাই।—ৰাজপাটতকৈও বেচি বুলিহে ভাবিছোঁ, ককাই।
নালীয়া।—উঃ! ই কম ভকত নহয় ঔ! অথনিৰ কথাটোকে এৰা নাই।

নিতাই।—কেনেকৈ এৰিবি ককাই? ইমান দুখ কৰিও যে সেই বেলি-পকাটো পাৰি আনি আমি ভগাই খাব নোৱাৰিলোঁ, সেই কথাটোৱেই মোৰ মনৰপৰা গুচা নাই।

সমনীয়া।—পিচে, পাৰিব নোৱাৰমানে মুগুচিবইনে কি?

নিতাই।—ওঁ, মুগুচে। তাক নাপাওঁমানে নাপাহৰোঁ।

নালীয়া।—আও! ই বাৰুটো হয় দেও! যিটো কথাত লাগে সি লাগেইহে। মই হলে তাৰ কাথকে নাচাপোঁ বুপাই। অথনিৰ আমৰলিৰ কামোৰণিৰ ফৰফৰণিয়ে আমাৰ হেঁপাহটো তল পেলাই থৈছে।

সমনীয়া।—উঃ, নকবি আৰু ককাই, মনত পৰিলেই চেক্‌চেকনি উঠে।

নিতাই।—মোক হবলা কামোৰা নাই?

সমনীয়া।-তোকো কামুৰিছিল, গছৰ আদধিনিৰপৰাই তোক বগৰাই অনা নাই জানো?

নিতাই।—পিচে?

নালীয়া।—পিচে নো কিয বেলিপকা-ৰাজভোগলৈ ধাউতি গুচা নাই?

নিতাই।—অ, নহয়, এটা কামলৈ এবাৰ মন মেলিলোঁ যেতিয়া, তাক সাধিমেই সাধিম। বেলিপকা খাইহে এৰিম।

নালীয়া।—এৰা, তই কম নহৱ বুপাই, যিটোত লাগ লাগইহে। এই দৰে লাগি কেতিয়াবা তই সঁচাসঁচি-কৈয়ে ৰাজপাট খাবিহে হবলা বুপাই!

নিতাই।—বাৰু, বাৰু, ৰাজপাট খাবলৈ পাওঁ যদি তইঁতেও বিষয়াৰ বাব খাবলৈ পাবি। বাৰু, থ এতিয়া থ সেই-থন কথা। ব'লইক যাওঁ, বেলিপকা পাৰোঁগৈ বল।

সমনীয়া।— বল বাৰু, আমি হলে নিলগৰপৰাহে।

(তিনিও এথোজ-দোথোজকৈ গৈ থাকে)

নালীয়া।—(মনতে) হবও পাৰে। একো আচৰিত নহয়। যি লাই বাঢে তাৰ দুপাততে চিন্। উঃ, সঁচাকৈয়ে ই কম নহয়। ই কোনোবা ডাঙৰ মানুহৰ ঘৰত হে জনম লব লগা আছিল। যি হওক, ইয়াক আগত লোৱাৰ পৰা লাভ আছে। হুঁঃ, পিচে নালীয়াও কম নহয়; মই আমুকা পম্ খেদাত কম নহওঁ। বাৰু, নিতাইক জানিবা ঈশ্বৰে গুণৰ ভঁড়াল কৰি চৰ্জ্জিলে, মোক তেও বুধিৰ ভুক্কাটোকে কৰি সাজিছে হে? দেখা যাওক।

সমনীয়া।—(ডালত পৰি থকা তিপচী চৰাই এটালৈ আঙুলিয়াই) নিতাই, চাচোন সৌটি। কেনেকৈ বুকু পাতি আছে। পাৰিবিনে শালিব একেপাট কাঁড়েৰে?

নিতাই। বাৰু চাওঁচোন, আগেয়ে গপ্ মাৰিলে কি হব? (নিতায়ে টোঁৱাই ভিৰাই কাঁড় মাৰে)

সমনীয়া।--পৰিল, পৰিল, সৌটো পৰিলহি মাটিত।

(চৰাই তুলি লবলৈ লৰ ধৰি প্ৰস্থান)

নিতাই। পৰিল নে? চাওঁ, কোনটি?

(সমনীয়াৰ পিচে পিচে লৰি প্ৰস্থান)

নালীয়া।—আও! ই কম ভকত নহয় দেও! ধেনু-কাঁড়তো বৰ পাকৈন। ইয়াৰ নিচান কেতিয়াও কাটি নাযায়। সিদিনাখনেই নহয়, চকুৰ আগতে, সেই উৰি যোৱা নাচনী চৰাইকণ একেটা বাতলু-গুটিৰেই মাটিত লুটিয়াই পেলালে। আৰু, লৰা-ধৰা, জঁাপ-মৰা, থৰ-মৰা, সাঁতৰা, গছত-উঠা, হিলৈ-মৰা, ঘোঁৰাত উঠা, নাও-মৰা,—এইবোৰ আটাইতে সি পাকৈত। তাক আৰু মই একোতে কম নেদেখিলোঁ। ই যে আগলৈ এটা মানুহ হব তাত সংশয় নাই। আৰু, ময়ো শুদাশুদি ভকত নহওঁ, তাৰ আলেখলেখ্ বুজিহে চলিছোঁ তেও। যাওঁ, সিহঁত ভালেখিনি পালেগৈ চাগৈ।

(বেগাবেগিকৈ প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

উদ্যান

(পাল-শৰ দিয়া মৈদাম)

ধৰ্ম্মধ্বজ

(অকলশৰে ফুৰি ফুৰি)

ধৰ্ম্ম।—এয়ে সেই কীৰ্ত্তিস্থল।

ইয়াতে এদিন, ছুটীয়াৰ আদিৰাজ

ৰত্নধ্বজপাল হৈছিল বিমোহিত
প্ৰকৃতিৰ ৰূপ-লীলা চাই! পাতিছিল
ইয়াকেই ৰত্নপুৰ নগৰৰ ভেঁটি।
কিন্তু কি যে বিধি-বিড়ম্বনা,—নগৰৰ
ভেঁটি লৈ উঠিল মৈদাম। আদিৰাজ
ৰত্নধ্বজে প্ৰিয়পুত্ৰ এটি ৰাখিছিল
কমতাপুৰত গই, শিক্ষাৰ উদ্দেশে।
অকালত কাল হল সেই কোঁৱৰৰ।
কমতা-ঈশ্বৰে পাচে অতি যতনেৰে
পঠিয়ালে সন্তানৰ শব পিতৃলই,
যুগুত সমাধি হেতু। মৰ্ম্মাহত হল
ৰত্নধ্বজ পুত্ৰৰ শোকত। ভগ্ন হল
মনোৰথ, মনৰ উদ্যোগ 'ৰত্নপুৰ'
স্থাপনৰ হেতু। নগৰৰ সলনিত
পালবংশী কোঁৱৰৰ সমাধিৰ স্থল
হল এই ঠাই। ৰত্নপুৰ স্থাপনৰ
আয়োজন যত, সমূলক্ষে পালে লয়,
এই মৈদামত। তদবধি খ্যাত হল
'পাল-শব-দিয়া' - 'শদিযা'ৰ আঁতি-গুৰি –
শ্মশানৰ নাম। সেই হন্তে সুৰক্ষিত
মৈদামৰ ভেঁটি, পিপৰা পৰ্য্যন্ত তাত
নোৱাৰে পশিব। পুৰুষে পুৰুষে এই
পুণ্য ৰীতি চলি আছে অলঙ্ঘ্য নিয়মে।
দেখা নাই কদাপিও প্ৰাণীৰ সঞ্চাৰ
এই মৈদামত। আজি কিয় অকস্মাৎ
দেখোঁ বিপৰীত? ক'ৰপৰা চাপিলেহি
অপৰূপ জন্তু ইটো,—উধত পৰাণ,—
কৰেহি বিহাৰ আজি মৈদাম বগাই!
ভাবুকিত নটলে সি ডাবিত নডৰে,
খেদিলে নাযায় গুচি, নাচে খৰ্‌টকী,
আতিকে দাম্ভিক আৰু, কৰে ভেঙ্গুচালি।
আৰু আচৰিত!—সেউজীয়া ক্ষুদ্ৰকায়
তাৰ তিৰ্‌বিৰ্ কৰি কিহে জিলিকাই
চমকনি মাৰি ধৰে দুই চকু মোৰ!
নাথাকিল ধনু-শৰ লগত এতিয়া!
আহিলোঁ নিৰস্ত্ৰ এবে জিৰণিৰ হেতু,
ৰাজ-সাজ পৰিহৰি, ভাবুকৰ বেশে;
নতুবা তুৰন্তে শালিলোঁহেঁতেন তাক
এপাট শৰেৰে।

(মৌন)

পৰিছে মনত আৰু,
দৈববাণী সিদিনাৰ, দৈৱজ্ঞ গণনা—
হব লাগে সম্পাদন অপূৰ্ব্ব ভাৱে
সাধনীৰ সয়ম্বৰ পণ। হব পাৰে
এয়ে তাৰ আগন্তুক চিন্। ভাল কথা,
এয়ে তেন্তে হোক পণ, "এপাট শৰেৰে
শালিব পাৰিব যেযে এই খৰ্‌টকী,
সাধনীৰ পাণি-লাভ কৰিব সিজনে।"
হলোঁ প্ৰতিশ্ৰুত, হল এয়ে পণ মোৰ।
যথাবিধি আয়োজন হোক ৰাজ্য জুৰি,
চৌদিশে প্ৰচাৰ হোক সয়ম্বৰ কথা।
আদেশো মন্ত্ৰীক গই, পাচোক কটকী
দেশ-দেশান্তৰে,—স্বৰ্গ, ৰত্ন, কাম পীঠ,
সৌমাৰ সহিতে। ৰাখোক ৰখীয়া দি
প্ৰস্তাবিত পণ মোৰ, অদ্‌ভুত প্ৰাণী,
সয়ম্বৰ আগে হৰণ ভগন যাতে
নঘটে ইয়াৰ।

(মৌন)

লাগিছে লাঘৱ এবে
দেহ-মন-প্ৰাণ, অপাৰ চিন্তাৰ পাৰ
দেখি ৰিণি-ৰিণি। সাধনীৰ যোগ্য পাত্ৰ
মিলিব ইবাৰ,—ধ্ৰুৱিছে মনত মোৰ।
সীতা, দময়ন্তী আৰু দ্ৰৌপদী সতীয়ে
লভিলে যিমতে স্বামী ভাগ্য অনুসৰি,
হয় যেন সেইমতে সাধনীৰো মোৰ
ভাগ্যৱন্ত স্বামীলাভ বিধিৰ বিধানে।
মানুহ কাৰণ মাথোঁ, কৰোঁতা ঈশ্বৰ।

ফলিয়াই যেন,—"ঈশ্বৰে যি কৰে, ভাল
মানুহ কাৰণে।"

(মৌন)

পাওঁ যদি ভাগ্য-বলে
ভাগ্যধৰ কোনো জন এই ৰাজ্যতেই,
পুৰুষ ৰতন ৰূপে মানি সিজনক,
মহোল্লাসে সমৰ্পিব সাধনী ৰতন।
গুণে-জ্ঞানে হীন যদি হয় সেইজন,
সাধনীৰ সঙ্গ-লাভে পূৰাব সি ক্ষতি,—
সুশিক্ষা, সুনীতি জ্ঞানে কৰিব মহান্।
আৰু যদি মৰ্য্যাদাত নোহে সমতুল,
অথবা অপাত্ৰ জনে লভে সেই পণ,
প্ৰত্যবায়ে আহি তাৰ নাপাবহি মোক।
বহু চিন্তা পাৰ হ'ল গুণ-মান লই,
অপেক্ষা কৰিলোঁ বহু তাৰ অভাৱত।
আৰু ভাবি চাব লগা কথা,—মৰ্য্যাদাই
ভাগ্যগতি নোৱাৰে ৰোধিব, পৰা নাই
গতিৰোধ কৰিব আদিতে,—ছুটীয়াৰ
আদিগুৰি বীৰবলে যেবে লাভ কৰি
'কুবেৰ সম্পত্তি'—ঢাল, তৰোৱাল, ধন,
সোণৰ মেকুৰী লভিলে ই ৰাজভোগ
ছুটীয়া ৰাজ্যৰ, যদ্যপি দৰিদ্ৰ ল'ৰা
সামান্য ঘৰৰ। নাই আৰু ভাবিবৰ.
নকৰোঁ আশঙ্কা, যাও ঘূৰি, কওঁগই
উৎকণ্ঠা ৰাণীক।

(প্ৰস্থান)

প্ৰথম অঙ্কপাত

জিৰণিৰ-পটক্ষেপণ।

দ্বিতীয় অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

ৰজাৰ ৰবচ'ৰা

(ধৰ্ম্মধ্বজ, মন্ত্ৰী, পাৰিষদ আৰু সভাপণ্ডিত)

ধৰ্ম্ম।—শুনা মন্ত্ৰী, পাৰিষদ,
পণ্ডিত মণ্ডলী, শুনা আমাসাৰ পণ।
কালি যেবে অকলই আবেলি পৰত,
ভ্ৰমিছিলোঁ উদ্যানত,—ভাৱত মগন—
ভাবি ভাবি সাধনীৰ পৰিণয় কথা,
চাপিলোঁ ওচৰ গই 'পাল-শৰ-দিয়া'
--ছুটীয়াৰ কীৰ্ত্তিস্তম্ভ মৈদামৰ কাষ।
আহিল কতনা স্মৃতি পূৰ্ব্ব পুৰুষৰ,
আদিৰাজ ৰত্নধ্বজ কথা, সুমৰিলোঁ
আৰু সেই চলি অহা পুৰুষে-পুৰুষে
আদিৰাজ আজ্ঞা-বাণী অখণ্ড ৰীতিৰে,—
পিপৰা এটিও যেন নোৱাৰে সাৰিব
মৈদাম বগাই। কিন্তু শুনা, কালি এক
অপূৰ্ব্ব ঘটনা, খৰ্‌টকী প্ৰাণী এটি
মৈদাম বগাই ফুৰি আছে দম্ভ কৰি,
কত যত্ন কৰি আমি নোৱাৰিলোঁ তাক
খেদাব নিলগ কৰি।—তেতিক্ষণে আন ভাব
--সাধনীৰ সয়ম্বৰ কথা -আচম্বিতে
আহিল মনত। হঠাৎ কৰিলোঁ পণ,
"এপাট শৰেৰে, পেলাব পাৰিব শালি
যেয়ে এই প্ৰাণী, সাধনীৰ পাণি-লাভ
কৰিব সিজনে।"
মন্ত্ৰী।— যুগুত হইছে পণ।
পাৰিষদ।—ৰাজযোগ্য পণ।
ধৰ্ম্ম।— কি বোলা পণ্ডিতে?
পণ্ডিত।—আমিও বুলিছোঁ ভাল।
বিধাতাই পাতিছে যি জোৰা, মিলিব সি
যথা সময়ত।

পাৰিষদ।—স্বৰূপ কইছা দেওঁ!
মন্ত্ৰী।— কি কৰা উচিত এবে?
পণ্ডিত।—'শুভস্য শীঘ্ৰম্'।
কিন্তু, কিৰূপে আৰম্ভোঁ।
কাম, পৰামৰ্শ তাৰ সুধিছোঁ সভাক।
পণ্ডিত।—পৰামৰ্শ?
মন্ত্ৰী-বাব বিচাৰোঁ সলাব?
ধৰ্ম্ম।— ক্ষান্ত হোৱাঁ।
নহয় সময় ইটো ৰং-ধেমালিৰ।
কৰাঁ স্থিৰ,—কিবা ৰূপে সাধিবাঁ সকাম।
মন্ত্ৰী।— চিন্তা নাই মহাৰাজ!
কৰিম যুগুত দিহা পণ-ঘোৱণাৰ;
সদউ ৰাজ্যত প্ৰচাৰিত হয় যাতে
আজি-কালিতেই।
ধৰ্ম্ম।— নহব নে প্ৰচাৰিত
স্বৰ্ণ, ৰত্ন, কাম আৰু সোমাৰ পীঠত -
সয়ম্বৰ পণ?
মন্ত্ৰী।— নহব সময় তাৰ।
দীৰ্ঘকাল প্ৰাণীৰক্ষা নহব সম্ভৱ।
ক্ষুদ্ৰ জীৱ খৰটকী যদিহে হেৰায়,
ঘটিব প্ৰমাদ!
সভাসদ।—সঁচা, হ'ব সৰ্ব্বনাশ!
ধৰ্ম্ম।— কি হ'ব উপায়?
পণ্ডিত।—উপায় অৱশ্যে হ'ব।
ভীষ্মক ৰজাৰ যেনে মহা সঙ্কটত,
ঘটালেহি কৃষ্ণে আহি ৰুক্মিণী-হৰণ,
তদ্ৰূপ ওলাব কোনো বিপদ-তাৰণ
যথা সময়ত।
ধৰ্ম্ম।— যি কৰে ঈশ্বৰে!
মন্ত্ৰী।— ঈশ্বৰে ভালকে কৰে।
ধৰ্ম্ম।— দিন ধাৰ্য্য কৰা হোক
যথাবিধিমতে।
মন্ত্ৰী। —পণ্ডিতৰ বাব সিটো,
কৰিব পণ্ডিতে।
পণ্ডিত।—চিন্তা নাই মন্ত্ৰীবৰ,
অৱশ্যে কৰিম।
ধৰ্ম্ম।—ভাল কথা,
আজিলই এৰোঁ ইমানতে।
(সকলোৰে প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

গাভৰুৰ বুলনি

(সাধনী আৰু শান্তি)

সাধনী।—কি দিম উপমা!
কোকিলৰ কণ্ঠ জিনি
গোৱাঁ যেবে তুমি হৃদয়-পমোৱা গীত,
পাহৰোঁ সংসাৰ, পাহৰোঁ আপোন-পৰ,
বিশ্ব-প্ৰেম বই পৰি কৰে বিমোহিত।*
সঙ্গীতত, হেৰা সখী, আছে কি মোহিনী,—
চিন্তা-ভাব, শোক-তাপ কেনিবা পলাই
অযাচিতে দিয়ে এৰি সন্তোষক ঠাই।
শান্তি। —সঁচা সখী!
সঙ্গীতত পমে মন-প্ৰাণ!
শুনোতে যি তৃপ্তি লাভ গাওঁতে শ-গুণ।
সাধনী।—সখী, গোৱাঁ আৰু এটি।
শান্তি।—লাগে আৰু এটি?
সাধনী।—হয় সখী!
ৰোৱা নাই আবেগৰ বেগ;
দুগুণে বাঢ়িছে সি, বাঢ়ে যেন হায়,
বাৰিষাৰ বেগৱতী নই। কুণ্ডিলৰ
কুণ্ড যেনে উপচি-পানীৰে আছে বই
শ-দিয়া বুৰাই; হৃদিকুণ্ড ফুটি মোৰো
বইছে আবেগ—বেগ হিয়া ওপচাই
শুনি তৱ মধুৰ ৰাগিণী। গোৱাঁ সখী!
গোৱাঁ আৰু এটি।
শান্তি।—লাগিছে ভাগৰ, সখী!

সাধনী।—এটি হলে হব,
আৰু নকৰোঁ আমনি।
শান্তি।—ভাল বাৰু, এটি মাথোঁ ;
নধৰিবাঁ আৰু।

গীত

যোগিয়া—একতলা

প্ৰেম মুফুটিলে, ক্ষণ নিমিলিলে,
হিয়াতে হেঁপাহ পলায় অই!
(হাঁয়) পুণ্য আশাটিয়ে, গোপনতে ভাঁহে,
গোপনতে মাৰ যায় অই!!
এই যে সংসাৰ, –
এই সংসাৰৰ কেও
প্ৰেমৰ মহিমা নাপায়,
এই সংসাৰে প্ৰেম বিলাওঁতে ঢুকায় ;- -
য'ত আছে হায়,
নিতে প্ৰেম দিয়া-দিয়ি,
ত'তে গই প্ৰাণ জুৰায় অই॥

(ক্ষন্তেক নিজম্)

সাধনী।--কিযে সুললিত!
শুনিহে থাকিম যেন।
শান্তি।—শুনি থাকঁা, গাই থাকোঁ,
এৰোঁ আন কাম!
সাধনী।--সখী! নাপাবাঁ আমনি।
শান্তি।—নাই পোৱা সখী।
কিন্তু এটা কথা, মন কৰি আছোঁ মই
দিন চাৰি পৰা, সঙ্গীতত আতিকই
বাঢ়িছে ধাউতি তব বেলেগ বেগেৰে।
সাধনী।—সঁচা সখী!
সঙ্গীতত বাঢ়িছে ধাউতি।
কিন্তু কিয়, কিবা ভাবে, টানিছে কলই,
নোৱাৰোঁ বখানি কব! যি ভাৱে টানিছে
এই বিশ্ব-ব্ৰহ্মাণ্ডক শূন্যে শূন্যে তুলি,
সেই ভাৱে টানে মোৰো ক্ষুদ্ৰ হৃদয়ক
কি জানো কলই! নাথাকাঁ যেতিয়া তুমি,
মুশুনো সঙ্গীত, তেতিয়া চাপেহি কাষ,
কৰেহি আমনি, আন এটি ভাবে ধৰি।
নোৱাৰোঁ ফুটাব তাৰো আধাফুটা ভাব, -
কিবা নাই, কিবা লাগে, মুবুজো আপুনি ;
কৰে মন উগুল-থুগুল। সিটি ভাব
স্বৰগৰ, ইটি মৰতৰ। দুয়ো যেবে
একে লগে কৰে টনাটনি, তোলপাৰ
হৃদয়ত কিযে কেনে কৰে, সাধ্য নাই
বুজাওঁ ভাষাৰে! মৰ্ত্ত্যৰ ভাবনা যিটি
ধৰিছোঁ ভাবত ; হিয়া দিয়া-দিয়ি তাৰ
উদ্দেশ্য মহান্। কিন্তু হাঁয়, জনা নাই,
কাৰ হিয়া কোনে দিয়ে কাক। সপোঁ বুলি
আধা হিয়া আছোঁ সাজু হই, পাওঁ যদি
মিলনত বাকী আধা মোৰ।
শান্তি।--আৰু জানোঁ,
নৃত্য-গীত-সঙ্গীতত পাবাণো বিদৰে।
সাধনী।—কিনো হ'ল পিছে?
শান্তি।--হোৱা নাই, হ'ব পাৰে।
সাধনী।—কিনো হ'ব পাৰে?
শান্তি।- হ'ব পাৰে, –
কুমলীয়া হিয়া তব নাৰী জীৱনৰ,
তাতে পূৰ্ণ যৌৱনত, মজিছা যিদৰে
তুমি ধৰ্ম্ম-সঙ্গীতত একান্ত চিত্তেৰে,
নপমিব সেই হিয়া উদাস ভাবত
কোনে কব পাৰে এনে কথা?
সাধনী।—কি ক্ষতি দেখিলাঁ তাত?
পমে যদি ক্ষুদ্ৰ হিয়া ধৰ্ম্ম-সঙ্গীতত,
ভাগ্য মোৰ, মিলিব সি অনন্ত ভাবত।
কিবা ক্ষতি তাত?
শান্তি।—ক্ষতি নাই, আছে লাভ।
নোৱাৰি তৰিব কিন্তু সেই লাভ লই
ভব-সংসাৰত।

সাধনী। সুবুজিলা সখী হায়!
ভব-সংসাৰত আছে যদি তৰিবৰ
যথাৰ্থ যুগুতি, জানিবা নিশ্চয় হেৰা,
ধৰ্ম্ম হে প্ৰধান বল সেই সমাজত,
সহায়-সাৰথিহীন দুখী তৰিবৰ।
আৰু জানা সখী! নবহে যদ্যপি মন
ঈশ্বৰ-প্ৰেমত, মিছা তাৰ প্ৰেম-ৰাগ
নশ্বৰ দেহত।
শান্তি।—নালাগে বুজাব বাৰু।
সাধনী।—কিয় কোৱা এনে?
শান্তি।—দেখি গতি সংসাৰৰ।
দেখিম তোমাতে, নাই আৰু বহুদিন,
সয়ম্বৰ পাৰ হলে, যদি বাচি থাকোঁ,
বিজাম তেতিয়া।
সাধনী। সয়ম্বৰ!
সুলিয়াবা সখী সেই কথা।
শুনিবৰে পৰা মোৰ সয়ম্বৰ কথা,
উগুল-থুগুল মন, নাই শান্তি লেশ,
ভোগ-তৃষ্ণা, মায়া-মোহ, বিষয় বাসনা,
অকালত মাৰ যায় যেন! মাৰ যায়
আৰু মোৰ আশা বাঞ্ছা সুখ কল্পনাৰ!
শান্তি।—সুলিয়াওঁ,
দায যদি ওলালে ইমুখে!
সূৰ্য্যৰ মুখত কিন্তু কোনে সোপা দিয়ে!
বাটে-ঘাটে ঘৰে-পৰে ইয়াৰে হে কথা।
সাধনী। সুবুজিলা ভাব মোৰ!
দায় নাই উলিয়ালে, কিন্তু শুনা সখী,
নাজানোঁ কিহেতু হাঁয, লগা নাই ভাল
সয়ম্বৰ কথা। শান্তিত বিঘিনি যেন
বাজিছে প্ৰাণত।
শান্তি।—তাতে হে কইছোঁ সখী!
ধৰ্ম্ম-গীত শুনিবৰ নহয় সময়,
পূৰ্ণ-যৌৱনত। যৌৱনত উজুমন
চলে যেনি-তেনি।
সাধনী।—চলো যেনি-তেনি!
শান্তি।—চলিবা কালত,
চলিবৰ সুসময় আহিব যেতিয়া।
এৰোঁ এবে এই সব সাংসাৰিক কথা,
বলা সখী ফুৰোঁগই ফুল-উদ্যানত।
সাধনী।—যোৱা সখী,
ভাবিছোঁ নাযাওঁ আজি।
শান্তি।—লগৰ সখীটি,
এৰিম অকলে কিয়?
(হাতত ধৰি টানি নিয়ে)

তৃতীয় গৰ্ভাঙ্ক

ৰাজবাট

(নালীয়া)

নালীয়া।—হওক, তেও ঈশ্বৰে যেনে-তেনেকৈ মোৰ বাঞ্ছাফেৰি পূৰালে। মই তাহানিযেই কৈছিলোঁ নহয়, বোলোঁ কিযনো লাগিছে পৰৰ ভকত, বিচাৰি চালে আমি ঘৰতে শকত। আমাৰ ইৰাজ্যত বিচাৰিলেনো সাধনী গাভৰুলৈ মনে-বছা দৰা এটি নোলাবনে? নাই, মোৰ কথা গোটেই ফুঁতে উৰুৱাই দি মোৰ বান্ধৱ ৰজাদেৱে কলে, 'নাই, মোৰ সাধনীৰ লাযক দৰা ইয়াত নাই, — গুণত নাই, ৰূপত নাই, ফেৰত নাই।" সেই দেখি ৰজাই দেশে দেশে কটকী পাচিলে, কিন্তু ক'তো হেনো তেওঁৰ মনে-ধৰা দৰা পোৱা নগ'ল। বোলে, সাত পুৰুষ গ'ল উদৰ কেঁচা মাছ খাওঁতে, এতিযা তাক লাগে ভজা, খড়িকা-দিয়া আৰু পাতত-দিয়া। এইথন ৰাজ্যতে আগৰ ৰজা-সকলে জীয়াৰী বিয়া দি-বুঢ়া হৈ গ'ল, এওঁলৈহে ইয়াত দৰা নোহোৱা হ'ল! কিন্তু, মই গেজেলাই তেতিয়াই কৈছিলোঁ, বোলোঁ দেখিম,—দেখিম এই দুটা চকুৰে, আন ঠাইৰপৰা নো কেনে বিনন্দীয়া দৰা ওলায়হি! পিছে, এতিয়া কেনে? ভেচ্ ভেচীয়া নহ'ল? বোলে 'গ'ল কণা, আহিল

কথা, খাগৰি কাটিলে তিনি কনা!' কটকী ককায়ে আনিলে কি, তিনি ফালৰপৰ তিনিটা টিলিকি! যি হওক, এতিয়া কিন্তু গতি লাগিছে,—মই ৰিজাবলৈ তেও বাটটো মুকুলি হ'ল, এতিয়া ইয়াতে বোলে হেনো সয়ম্বৰ এখন পাতে! এইবাৰ জানিবা ভগা ঢোলৰ বোলটো দেশ ছাৰি বিদেশলৈ বাজ নহ'ল; এই ভেঁকুৰা ৰাজাৰ ভিতৰতে সেই "জগত জাননী পতিত পাৱনী" ঘোষণাখন থাকিল। বাৰু, সেই ছোৱা এৰিছোঁ, পিছে, এতিয়া সয়ম্বৰৰ পণ ৰক্ষা কৰেহি বা কোনে?—ৰামেই আহে নে অৰ্জ্জুনেই আহে?—নাই, পঞ্চ-নলেই বহে হি? ইয়াৰহে তত্ ধৰিব পৰা নাই। বাৰু দেখা যাওক, কাৰ ভাগ্যত কি ফলে, কাৰ পাতত কি পৰে।

(নিতাইৰ প্ৰৱেশ)

নালীয়া। এ হে! ই স্মৰণ কৰোঁতেই ওলায়হিয়েইনে কি! কিন্তু ত্ৰেতাৰ তপস্বীবেশী শ্ৰীৰামচন্দ্ৰ নহয় দেখোন! এওঁ দ্বাপৰৰ শ্ৰীকৃষ্ণ গৰখীয়াৰ বেশেৰে অৱতাৰ হৈছেহি হ'বলা?

নিতাই।—অ, কি কৰিছ ককাই?

নালীয়া।—এ, তোকেই হে চাইছোঁ ভাইটি!

নিতাই।—মোক আজি নেদেখাই দেখিলি নে কি?

নালীয়া।—নহয়, নিতৌ দেখিছোঁ।

নিতাই।—পিছে, নেদেখাই চোৱা দি চাইছ কিয়?

নালীয়া —চাইছোঁ, বোলোঁ কিবা অৱতাৰ হলি বা!

নিতাই।—কি অৱতাৰ?

নালীয়া।—ৰাম, কৃষ্ণ, অৰ্জ্জুন, নল—ইবিলাকৰ ভিতৰৰ এজনৰ অৱতাৰ বুলি মোৰ ভ্ৰম হৈছিল!

নিতাই।—কিয়? কিয়? মোৰ মুৰকে খা, কচোন, ক।

নালীয়া।—সয়ম্বৰৰ গোন্ধত বিট্-শগুণ নমাদি কোনোবা এজন নামিলহি বুলি ভাবিছিলোঁ,—আৰু কিয়?

নিতাই।—কি সয়ম্বৰ? সীতা-সয়ম্বৰ নে?

নালীয়া।—বাৰু হ'ব এখন সয়ম্বৰ, আহিবিচোন।

নিতাই।—ওঁ, আহিম তো; কোন্টো নামঘৰত পাতিছে ককাই?

নালীয়া।—নামঘৰত নহয় বলিয়া!—সেই শ-দিয়া মৈদামৰ কাষত ৰভা দি পতা হ'ব সয়ম্বৰখন।

নিতাই।—আজি ৰাতিয়েই হ'ব নে?

নালীয়া।—ৰাতি নহয়, দিনত হে।

নিতাই।—ঐ আই! দিনত নো সয়ম্বৰ পাতে নে? কোন্ দেশত দেখিছ ঐ এনে কথা!

নালীয়া। -এই দেশতে দেখিবি, বাৰু আহিবিচোন!

নিতাই।—ওঁ, আহিম বুলিছোঁ নহয়, আহিম। পিছে, কাহানিকৈ নো পাতিছে সয়ম্বৰ ভাওনাখন?

নালীয়া।—বাৰু, আহিবি, পৰহিলৈ দুপৰীয়া সেই মৈদামৰ কাষলৈকে আহিবি দেই।

নিতাই।—বাৰু, আহিম দেই! অঃ, এনে কথা আছে নে? আথৰা দিওঁতে বতৰা পোৱা হলে ভাও এটাও লব পাৰিলোহেঁতেন নহয়!

নালীয়া। একো কথা নাই, আখৰালৈ নগলেও ভাও দিব পৰা হ'ব। তই বাৰু তোৰ ধেনু-কাঁড়যোৰ লগত লৈ আহিবিচোন।

নিতাই।- ধেনু-কাঁড়? ওঁ, আনিব পাৰিম তো। মই সিবেছা তালন চুবুৰীৰ নামঘৰত পতা সয়ম্বৰত লখ্মণ হৈছিলোঁ নহয়। সেইযোৰ কাঁড়-ধেনুৱেই আছে।

নালীয়া।—সিবাৰ লক্ষ্মণ হৈছিলি, এইবাৰ ৰামৰ ভাও দিব লাগিব। কিন্তু, সেইযোৰ ধেনু-কাঁড়ে নহ'ব, তোৰ চৰাই-মৰা ধেনু-কাঁড়যোৰ লৈ আহিবি। একেপাট কাঁড়েৰে কেৰ্ক্কেটুৰা এটা শালি মাটিত পেলাবহি পাৰিবি জানো?

নিতাই।—ঐ আই, কিনো কৱ ককাই! সয়ম্বৰত আক' ক'ৰ কেৰ্ক্কেটুৰা ওলাব কঁড়িয়াই শালিবলৈ?

নালীয়া।—বাৰু ওলাব এটা, মই কোৱাদৰে তই সাজু হৈ আহিবিচোন। কেৰ্ক্কেটুৰা ওলায় যদি নোৱাৰিবি জানো শালিব?

নিতাই।—কিয়! কি বৰ কথাটো! সিদিনা আমাৰ বাৰীৰ কুমলীয়া তামোল সকলোৱাই থাকোঁতে এটা কেৰ্ক্কেটুৰা একেপাট কাঁড়েৰে সৰকাই মাটিত পেলালোঁ নহয়।

নালীয়া।—ভাল কথা। তই ঠিক পাৰিবি বুলি মোৰ মনে ধৰিছে। বাৰু, শালিব পাৰ যদি ৰজাৰ দৌলত পাবি, জানিছ।

নিতাই।—বাৰু ককাই, বাৰু। মই যাওঁহে এতিয়া দেই। গৰু কেইটা কাৰোবাৰ ধাননিত উঠিবগৈ।

(প্ৰস্থান)

নালীয়া।—যাওঁ ময়ো। সাধনী-সয়ম্বৰ-ভাওনাখন পতাব লাগে ভালকৈ। উঃ, ৰজাৰ কাণ্ডখন দেখিহে মৰোঁ।

(প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

অন্তঃপুৰ

(ধৰ্ম্মধ্বজ আৰু লীলাৱতী)

ধৰ্ম্ম।—পূৰ হ'ল কামনা তোমাৰ।
লীলা।—কি নাথ?
ধৰ্ম্ম।—সাধনীৰ সয়ম্বৰ চাপিলেহি আজি।
লীলা।—পৰম সৌভাগ্য মোৰ।
শুনিবৰেপৰা সেই সুখৰ বাতৰি,
আনন্দে নধৰা মোৰ হইছে পৰাণ।
শলাগনি অন্তৰৰ, মাতৃ হিয়া-ভৰা,
লোৱাঁ প্ৰাণেশ্বৰ।
ধৰ্ম্ম।—বুজা নাই, শলাগনি
কোনে কাৰ পায়।
লীলা।—পূৰালে যি মনোবাঞ্ছা
যাৰ অন্তৰৰ, সেয়ে পায় বিধিমতে
শলাগনি তাৰ।
ধৰ্ম্ম।—নহওঁ গৰাকী আমি
বাঞ্ছা পূৰাবৰ। বাঞ্ছাৰ গৰাকী যি,
– স্ৰজোঁতা বাঞ্ছাৰ—কৃতজ্ঞতা আমাসাৰ
তেওঁ অধিকাৰী।
লীলা।—সঁচা, কিন্তু নাথ,
নাৰীৰ গৰাকী নৰ, ঈশ্বৰ নৰৰ,
সৰল শলাগ মোৰ নাৰী অন্তৰৰ,
যাব যথাঠাই তোমাৰ চৰণ চুই।
"ঈশ্বৰে যি কৰে, ভাল মানুহ-কাৰণে,"
– ভালে যেন ফলিয়ায়।
ধৰ্ম্ম।—ভাবিছোঁ তাকেহে ময়ো।
ইচ্ছাময়ে কৰে ইচ্ছা, কাৰ্য্যফল তাৰ
ফলিযায় মানৱত। ইয়ো এক জানা,
তাৰে অভিনয়।

(লিগিৰীৰ প্ৰৱেশ)

লিগিৰী।—মহাৰাজ।
মন্ত্ৰীবৰে পাচিছে দুৱৰী।
ধৰ্ম্ম।—মিলিব সাক্ষাৎ।
লিগিৰী।—যিবা আজ্ঞা মহাৰাজ।

(লিগিৰীৰ প্ৰস্থান)

ধৰ্ম্ম।—যাওঁ আমি পাতোগৈ
সয়ম্বৰ সভা। চাপিছেহি মন্ত্ৰীবৰে
যথা সময়ত।

(ৰজাৰ প্ৰস্থান)

লীলা।—যোৱাঁ নাথ।
কৰোঁ স্তুতি বিপদতাৰিণী।

গীত

টোৰি—টিমেতেতেলা

জয় দুৰ্গা দুৰ্গতিনাশিনী।
হে বিপদতাৰিণী॥
আপদে নিস্তাৰিণী, তাপ ক্ষয়কাৰিণী,
সন্তাপহাৰিণী,
পতিতপাৱনী,
মিলিলে অপায় নৰে শান্তিছাঁয়াদায়িনী॥

(মৌন)

লীলা।—যাওঁ ময়ো,
বাহিৰৰ লওঁ গম্-গতি।

(প্ৰস্থান)

পঞ্চম গৰ্ভাঙ্ক

সয়ম্বৰ সভা

(সভাসদ, কন্যাপ্ৰাৰ্থীসকল, নিতাই,
নালীয়া, দৰ্শকমণ্ডলী)

এজন কন্যাপ্ৰাৰ্থী।--কতপৰ বাকী আৰু ?
সভাসদ।—নাই বহুপৰ।
ওলাবহি মহাৰাজ মন্ত্ৰীবৰ সতে।
(ভিতৰ চ'ৰালৈ চাই) ওলালেহি কণ্ঠতেই।
(মন্ত্ৰী আৰু ধৰ্মধ্বজৰ প্ৰৱেশ আৰু আসন গ্ৰহণ)
মন্ত্ৰী। -(আসন এৰি উঠি) শুনা সভাসদ
আৰু দৰ্শকমণ্ডলী, শুনিবা সবাৰে
সয়ম্বৰ-পণ :—'শৰ-দিয়া মৈদামত'
এক পক্ষ কাল, মহতালি কৰি আছে
ক্ষুদ্ৰ এটা প্ৰাণী,—কেৰ্‌কেটু নাম তাৰ।
নামানে সি মহাৰাজ, নজৰে একোতে,
দম্ভ কৰি ফুৰে মাথোঁ চালি ধৰি ধৰি,
সৌ মৈদাম বগাই , অকস্মাৎ পিচে,
মহাৰাজে কৰিলে ই পণ,—“একেপাট
শৰে যেয়ে শালি সেই প্ৰাণী, পেলাবহি
পাৰে সভা-সমুখত , সাধনীৰ পাণি-
লাভ কৰিব সিজনে।”
ধৰ্ম।—শুনিছা সবাৰে।
শুনিলা যি মন্ত্ৰী-মুখে আমাসাৰ পণ,
স্বৰূপ মানিবা তাকে। সভা-সমুখত
কৰিছোঁ স্বীকাৰ আমি।
মন্ত্ৰী।—উঠা এবে জনে জনে
পণ-প্ৰাৰ্থীগণ! লই নিজ ধনু-শৰ
চাপাঁহি ওচৰ। নতু, যেয়ে ইচ্ছা কৰে,
ৰাজদত্ত ধনু-শৰ কৰিব গ্ৰহণ।
আৰু এটি কথা ৰাখিবা মনত সবে,
একেপাট শৰে নিপাতিব পাৰা যাতে
পণস্থিত প্ৰাণী ; তুনাই নাপাবা বাৰ
পণ লাভলই।

১ম প্ৰাৰ্থী।—বুজিছোঁ বিশেষ
পণ-প্ৰস্তাবৰ কথা।
জানো মই আতি-গুৰি সকলো কথাৰ।
কিন্তু এটা কথা, সিদ্ধি যদি কৰোঁ লাভ,
সাধনীৰ পাণি মই নকৰোঁ গ্ৰহণ ,
সম্বন্ধত ভনী মোৰ সাধনী সুন্দৰী।
মন্ত্ৰী।—কিবা অৰ্থে উঠা তেন্তে তুমি ?
১ম প্ৰাঃ।—আছে অৰ্থ।
লভোঁ যদি পণ মই, লভিব বন্ধুৱে
মোৰ, সাধনী ৰতন। আহোম ৰাজন
তেওঁ বান্ধৱ প্ৰবৰ।
মন্ত্ৰী।—নকৰো আপত্তি।
১ম প্ৰাঃ।--দেখিবা দৰ্শকগণ,
লভোঁ এই পণ।
(আগ বাঢি গৈ কাঁড মাৰে ; আৰু বিফল হৈ
বিষণ্ণ মনেৰে ঘূৰি আসন লয়গৈ।)
সভাসদ।—আচৰিত!
এই হেন সিদ্ধহস্ত বীৰে
চকুৰ আগতে থকা ক্ষুদ্ৰ প্ৰাণী এটা
নোৱাৰি পেলাব শালি ললেহি আসন!
মন্ত্ৰী।—আৰা আৰু আছা কোন ;
কৃতী হই লভা কীৰ্ত্তি, লভাহি ৰতন,
ৰূপে-গুণে অতুলনা সাধনী সুন্দৰী।
ঐশ্বৰ্য্য-বিভূতি, আৰু ৰজাৰ গৌৰৱ
আছে যৌতুকত।
২য় প্ৰাৰ্থী।—উঠিছোঁ ইবাৰ মই,
দেখোঁ বাৰু কিনো ইটো আহিছে অমৰ!
কত শত ক্ষুদ্ৰ লক্ষ্য শালিছোঁ শৰেৰে ,
আকাশেদি উৰিযোৱা টিপচী এটিও
এবাৰ নোৱাৰে মোৰ অব্যৰ্থ সন্ধান।
--ইনো কিবা ছাৰ!
এজন সভাসদ। —পাৰিলে পাৰিব পাৰে ;—
সামান্য নহয় এওঁ চিকাৰী পুৰুষ।
কইছে স্বৰূপ ; দেখিলোঁ সিদিনা মই

আপোন চকুৰে, নিলগতে নাচি থকা
বালি-মাছী এটি, এপাট কাঁড়েৰে সঁচা
থলে সৰকাই!

দৰ্শক।—সিদ্ধি হোক,
হয় যদি ঈশ্বৰ কৃপাত।
বিষয়াৰ পুত্ৰে যদি লভে সাধনীক,
থাকিব গৌৰৱ এই ৰাজ-বঙহৰ।

২য় প্ৰাৰ্থী।—চোৱাঁ সৱে সভাসদ,
শালিলোঁ ইবাৰ। (কাঁড় মাৰে, আৰু বিফল হৈ বিমৰ্ষভাৱে উলটি আহে)

সভাসদ।—অতি আচৰিত।
এই হেন সুনিপুণ চিকাৰী পুৰুষ
হ'ল ভগ্নমনোৰথ।

মন্ত্ৰী।—নহবাঁ হতাশ।
আছে বহু আৰু বহু সিদ্ধহস্ত জন,
ৰূপ গুণ গৌৰৱ‍ ওথ ঠাই লই।
ধৰাঁ সৱে মনোবল আগ কৰি পণ,
লক্ষ্য কৰি আৰু সেই লক্ষ্মী সাধনীক।
আহা এটি এটি কৰি।

৩য় প্ৰাৰ্থী।—নহওঁ হতাশ।
শালিম নিশ্চয় পণ এপাট শৰেৰে,
সেনাপতি বংশধৰ হওঁ যদি মই।
সাধিছোঁ সাধনী মই বহু দিনপৰা,
সিদ্ধি হব মনোৰথ।

সকলোৱে।—হোক সিদ্ধি,
সকলোৱে কৰিছোঁ কামনা।

৩য় প্ৰাৰ্থী।—হ'ল সিদ্ধি,
চোৱাঁ এই বাৰ-
(শৰ নিক্ষেপ কৰে, আৰু বিফল হৈ বেজাৰ মনেৰে ঘূৰি আহে)

(সকলো স্তম্ভিত! সভা জঁয় পৰিল!!)

ধৰ্ম।—আচৰিত বাস্তবিক!

সভাসদ।—অতি আচৰিত!

মন্ত্ৰী।—নোহে আচৰিত।
আৰ্জ্জিলে ভুঞ্জিব লাগে, নাই তাৰ লৰ,
আৰ্জ্জিছোঁ ই পণ যেবে, নিশ্চয় লভিম
আজি শুভফল তাৰ। নহবাঁ হতাশ,
আহাঁ আৰু আছাঁ কোন্। কুল-মৰ্য্যাদাৰ
নকৰোঁ বিচাৰ, কৰা নাই তেনে পণ।
আহাঁ চাপি কোনে পাৰাঁ লভি ৰাজপণ
লভাহি সাধনী ধন।

নালীয়া।—(দৰ্শকমণ্ডলীৰ মাজৰপৰা) নিতাই!

নিতাই। ককাই!

নালীয়া।—এইবাৰ আমাৰ পাল। সাজু হ!

নিতাই।—কোনোবাই কিবা কয় বা ককাই!

নালীয়া।—কোনে কি কব পাৰে? মই আছোঁ। তই ভয় নকৰিবি।

নিতাই।—নহয় ককাই। সোবোৰ বৰ বৰ বিষয়াৰ ল'ৰাই পৰা নাই, মই পাৰিলে, মোক কিবা কৰে বা?

নালীয়া।—হেৰ, কোনে কি কৰিব। ভাল হে আকৌ, সোৱা মন্ত্ৰী-দোতাই কি কলে শুনা নাই।—যেয়ে একেপাট কাঁড়েৰে কেক্কে টুৰাটো শালি মাটিত পেলাব, সেয়ে পাব।

নিতাই। কি পাব? কি পাব ককাই?

নালীয়া।—বহুত পাব, এতিয়া তোক সেইবোৰ কথা নালাগে। তই ধেনু-কাঁড় লৈ মূঠেই আগ বাঢ়্।

নিতাই।—যাওঁ বাৰু। তই মোৰ লগ নেৰিবি দেই ককাই! মই হলে কালৈকো নাচাওঁ, পোনেই মাৰিমগৈ।

(নালীয়া আৰু নিতাই আগ বাঢে)

সভাসদ।—কোন সিটো, লাগে
কিবা তাক?

নালীয়া।—এওঁ সেই পণ মাৰিবলৈকে আগ বাঢ়িছে।

সভাসদ।—যা ঘূৰি হেৰ, নহবি বলীয়া!

নালীয়া।—নহয় বলিয়া। মন্ত্ৰী ডাঙৰীয়াই কোৱা মতে হে তেওঁ আগ বাঢ়িছে।

দৰ্শক।—উন্মাদ জানিছোঁ সিটো;

নহলে সি বাঢ়ে আগ এনে কামলই!
দিয়াঁ ওভোতাই।
মন্ত্ৰী।—নকবাঁ সি কথা।
ৰজাৰ পণত নাই কোনো ভেদাভেদ,
দিছোঁ ব্যাখ্যা ইতি আগে।
ধৰ্ম্ম।—সত্য কথা;
শুদ্ধ ব্যাখ্যা দিছে মন্ত্ৰীবৰে।
সভাসদ।—বাৰু তেন্তে,
নাবাধোঁ কঁাড়ীক!
নালীয়া।—নিতাই!
নিতাই।—ককাই!
নালীয়া।—ওঁ, ভালকৈ টোবাঁই লৈ দে মাৰি।
নিতাই।—বাৰু তেন্তে, চাবি দেই ককাই!
(কঁাড় মাৰি কেৰ্কে´টুৰা শালি মাটিত পেলায়)
[সকলো স্তম্ভিত! সভা জঁয় পৰিল!!]
ধৰ্ম্ম।—বিধিৰ লিখন হঁায়! (মৌন)
মন্ত্ৰী।—নাযায় খণ্ডন! (মৌন)
(বৰমাল্য লৈ সখীৰে সৈতে সাধনীৰ প্ৰৱেশ)
সাধনী।—চোৱাঁ পিতৃ, মন্ত্ৰীবৰ,
আৰু যত দৰ্শক-মণ্ডলী। চোৱাঁ সৰে,
বৰোঁ এবে স্বামী-গুৰু ধৰ্ম্মসাক্ষী কৰি।
দিয়াঁ আশীৰ্ব্বাদ।
(নিতাইক মালা পিন্ধাবলৈ যায়)
সভাসদ।—কি কৰাঁ! কি কৰাঁ!!
সাধনী।—বৰোঁ স্বামী-গুৰু।
সভাসদ।—কাক স্বামী বোলাঁ তুমি!
সাধনী।—লভিলে যি পণ।
সভাসদ।—সামান্য কঁাড়ীৰ ল'ৰা,
ফটাকানি পিন্ধা! বৰমাল্য দিবাঁ তাকে?
কি ভ্ৰম তোমাৰ!
সাধনী।—ভ্ৰম মোৰ!
কিবা কোৱাঁ সভাসদ হেৰা?
দেখি আছোঁ যতমানে আপোন চকুৰে;
যতমানে বীৰবৰ আহি ঘূৰি গ'ল,
ভগ্নমনোৰথ হোৱা দেখিলোঁ সবাৰে;
ভাগ্যধৰে শেহাস্তত ৰক্ষা কৰি পণ,
দেখালে ভাগ্যৰ বল জন-সমাজত।
নাভাবিবাঁ কঁাড়ী-ল'ৰা সামান্য-পুৰুষ,
আৰ্জ্জিলে যি গৌৰৱৰ দুঃসাধ্য ৰতন,
নাপালে যি মহাধন বীৰ-বংশধৰে।
শামুকৰ গৰ্ভ এৰি ওলালে মাণিক,
কোনে এৰে ঘিণ কৰি তাক? ছায়ে-ঢকা
অগ্নিশিখা কোনে পাৰে গণিতা নকৰি?
ভাবি চোৱাঁ আৰু, পিতৃৰ কৰম হেতু
জন্ম সন্তানৰ, নতুবা সি অৰ্থহীন
সৃষ্টিৰ ভাওনা, ফলে, সৰে, শেষ তাতে,
বাঁজী ফলপ্ৰায়! পিতৃৰ কৰম মোৰ
আছিল প্ৰতিজ্ঞা ঘোৰ পণ ৰক্ষা কৰা,
সাধিলে যি কৰ্ম্ম সেই ৰক্ষা কৰি পণ,
প্ৰকৃত সন্তান তেওঁ পিতৃ দেৱতাৰ,
সৃষ্টি-বিধিমতে। বুজিবানে ভ্ৰম মোৰ,
বৰোঁ যদি তেন জন স্বামী গুৰু বুলি?
সভাসদ।—নামানোঁ সি কথা।
নোৱাৰাঁ বৰিব তুমি এই কঙ্গালক,
নিদিওঁ আনিব আমি কুযশ কলৰ,
নহবাঁ অজ্ঞান তুমি।
সাধনী।—কি বোধ তোমাৰ।
লভিলে যি পিতৃ-পণ অসাধ্যক সাধি,
ৰাখিলে যি পিতৃনাম ঘোৰ সঙ্কটত,
সিজন সামান্য নোহে মোৰ বিচাৰত,—
আৰাধ্য দেৱতা তেওঁ আজি হস্তে মোৰ।
পিতৃ-ধৰ্ম্ম, পিতৃ-কৰ্ম্ম, পিতৃ-গুণ-মান
শৰীৰ ৰক্ত-মাংস মোৰ। সেই ধৰ্ম্ম,
সেই কৰ্ম্ম, সেই গুণ-মান ৰাখিলে যি,
তাত পৰ শ্ৰেষ্ঠ জন এই সংসাৰত
নধৰে মনত মোৰ।
(মালা পিন্ধাবলৈ আগ বাঢ়ে)
সভাসদ।—ক্ষান্ত হোৱাঁ নৰবাঁ কুজন।

সাধনী।—(অলি উঠি) ক্ষান্ত হয়!
ক্ষান্তৰ কাৰণ মই নেদেখোঁ সমূলি।
কি বুলি কুজন বোলোঁ এনে সুজনক,
ৰাখিলে যি পুণ্যপণ পিতৃ-দেৱতাৰ,
ৰাখিলে ধৰম সেই ধৰ্ম্মৰাজনৰ।
ধনী হোক, দীন হোক, চণ্ডাল যদ্যপি,
কুৰূপৰ আহিঁ আৰু অতি অভাজন
হয় যদি সেই জন, বৰিলোঁ তথাপি।
(মালা পিন্ধায়)

সকলোৱে।—হৰি! হৰি!!
প্ৰভো! কি কাম কৰালা তুমি!
মন্ত্ৰী।—নকৰা আক্ষেপ।
ভাবিছোঁ যুগুত দিহা খেদ গুচাবৰ।
আজি হন্তে যুৱৰাজ হোক এই বৰ,
গুচোক অপায় যত হীন-মৰ্যাদাৰ।
দিয়াঁ মত সকলোৱে।
সকলোৱে।—নাই অন্যোপায়!
দিছোঁ মত একেস্বৰে।
ধৰ্ম্ম।—চোৱাঁ মন্ত্ৰী,
সভাসদ দৰ্শকমণ্ডলী,
চোৱাঁ আৰু দেৱগণ আকাশেদি জুমি,
পিন্ধাওঁ মুকুট এই ছুটীয়া ৰাজৰ,
একেটি সন্তান মোৰ সাধনী-স্বামীক।
দিওঁ আৰু ৰাজ-সাজ হৰিষে সলাই;
পিন্ধোৱাঁ এজনে উঠি সমাজ মাজত,
যথাবিধি সন্মান জনাই। আৰু দিওঁ,
'কুবেৰ প্ৰদত্ত ৰত্ন',—ঢাল, তৰোৱাল,
ধন আৰু সোণৰ মেকুৰী,--ৰাজলক্ষ্মী
ছুটীয়া ৰাজৰ। দিছোঁ এৰি সিংহাসন
ছুটীয়া ৰাজাৰ; আজি হন্তে ৰজা এওঁ
নীতিপাল নামে। মানিবাঁ সবাৱে যেন,
কৰিবাঁ সন্মান, ৰাখিবাঁ ভকতি আৰু
আমাৰ সমানে। লইছোঁ বিদায় এবে
আজি হন্তে আমি; ধৰ্ম্মচৰ্চ্চা তপস্যাত
কটাম জীৱন, কুণ্ডিল কুণ্ডত গই।
কৰাঁ এবে আশীৰ্ব্বাদ নৱ ৰজা-ৰাণী।
সকলোৱে। জয় মহাৰাজ নীতিপালৰ জয়!
জয় মহাৰাণী সাধনীৰ জয়!!
(অন্তঃপুৰত উৰুলি)

দ্বিতীয় অঙ্কপাত

জিৰনি-পটক্ষেপণ

তৃতীয় অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

আহোম ৰজাৰ চ'ৰা

(চুহুম্মুং, কনচেং আৰু ৰাজখোৱা)

ৰাজখোৱা।—শুনিছেনে
ছুটীয়াৰ সয়ম্বৰ কথা?
কনচেং।—শুনা আছে মোৰ।
চুহুম্মুং।—শুনিছোঁ আমিও।
ৰাজখোৱা।—শুনা নাই এনে
অদ্ভুত কাহিনী ক'তো!
কনচেং।—কিনো অদ্ভুত
পালাঁ সেই কাহিনীত?
সয়ম্বৰ প্ৰচলন সভ্য সমাজত
চলি গৈছে চিৰকাল পুৰণি কালত,--
সীতা, দময়ন্তী আৰু দ্ৰৌপদী সতীৰ,
সয়ম্বৰ কথা আজি অবিদিত কাৰ?
চুহুম্মুং।—নিদিবাঁ তুলনা
পুণ্য পাৰিজাত স'তে
পৃথিৱীত সৰি পৰা মদাৰ ফুলৰ।
কনচেং।—স্বৰ্গদেৱ!
নৰজে তুলনা সঁচা
স্বৰ্গৰ জেউতি সতে মৰ্ত্ত্য-পোহৰৰ;
মানিব লাগিব কিন্তু ধ্ৰুৱসত্য বুলি
মৰ্ত্ত্যৰ পোহৰে মাথোঁ জিলিকায় নৰ।

চুহুম্মুং।—যুক্তিসিদ্ধ কথা।
কিন্তু পুহু চোৱাঁ ভাবি,
কিবা ফল দিলে সয়ম্বৰে!- -ছুটীয়াৰ
ৰাজনীতি উলঙ্গাই দেখোঁ, বৰমাল্য
সমৰ্পণ সাধাৰণ ছুটীয়া ল'ৰাত?
ৰাজখোৱা।—ভাগ্যৰ বলত
সম্ভৱ সকলো হয়!
কনচেং।—হব পাৰে সিটো
সামান্য ছুটীয়া ল'ৰা,
লভিলে যি বৰমাল্য ৰাজ-দুহিতাৰ;
কিন্তু সেই লাভ তাৰ সামান্য নহয়,
লভিছে যি অসামান্য পণ লাভ কৰি।
নাজানিব পাৰোঁ আমি কিযে গুণাকৰ
হব পাৰে সেই নৰ, সামান্য ঘৰৰ।
নহলে সম্ভৱ নোহে ইতৰৰ পক্ষে
ইহেন বিকাশ দিয়া গুপ্ত প্ৰতিভাৰ।
ভাগ্যবল কথা মোথোঁ দুৰ্ব্বলৰ বাণী,
নাই তাত লেশমাত্ৰ সাৰ। নাই যাৰ
মনোবল, ভাগ্যে তাৰ নোৱাৰে আৰ্জ্জিব
জ্ঞান-চৰ্চ্চা-ৰত্নফল; আৰু আন মতে
নোৱাৰে লভিব কেৱে যশস্যা বীৰৰ
নাই যাৰ সাহ-বীৰ্য্য শাৰীৰিক বল।
ইও এক সত্য কথা,—নাথাকিলে মূল
নোৱাৰে বাঢ়িব গছ এই পৃথিৱীত।
চুহুম্মুং।—জ্ঞানগৰ্ভ কথা।
ৰাজনীতি, ধৰ্ম্মনীতি,
সমজ্ঞানী সমদৰ্শী তুমি ডাঙ্গৰীয়া।
এৰাঁ এবে সেই কথা, নাই প্ৰয়োজন।
কনচেং।—প্ৰয়োজন
স্বৰ্গদেৱ, দেখোঁ সুবিস্তৰ।
অপৰ ৰাজ্যৰ কথা, ৰজাৰ পদ্ধতি,
আলচিলে বহুলাভ আছে পাবলই!
ছুটীয়া প্ৰসঙ্গে এই যথা সময়ত,
টানিব বিস্তৰ লাভ, ধৰে মোৰ মনে।

চুহুম্মুং।—ধন্য তুমি,
ধন্য আৰু দূৰদৃষ্টি তৱ।
দেখা যাব সময়ত যিবা লাভালাভ;-
যশস্যাৰ ভাগী তুমি আছা নিৰন্তৰ।
কনচেং। ভাল স্বৰ্গদেৱ!
মাগিছোঁ বিদায় এবে।
হব লাগে যাত্ৰা কালি উষা-পুৱাতেই,
আমাসাৰ ৰাজকাৰ্য্য উদ্দেশি ভাটীত।
দিখৌমুখত এক চকী পাতিবৰ
সুদিহা কৰিব লাগে, আছোঁ আদেশিত
চুহুম্মুং।—ভাল কথা,
উঠোঁ তেন্তে, যোৱাঁ ধৰাধৰি। (প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

উদ্যান

(সাধনী আৰু নীতিপালৰ উদ্যান ফুৰণ)

(তুফালৰপৰা দুগৰাকী গায়িকাৰ প্ৰবেশ)

গীত

বিহঙ্গড়া—জলদ একতালা।

ভুলি গতি আমি হেৰা আহিছোঁ অই।
স্বৰগ ত্যৰী, আমি দুই কিন্নৰী,
শুনি বাঁহী, নামোঁ হাঁহি,
দুয়ো প্ৰেমময়ী অপেচৰী।
উদ্যান উজলি ফুলিছে ফুলকলি,
আদৰেৰে তোলোঁগই আমি।
সেউতি-মালতী, ফুলমাহী যাতি-যুতী,
হালি-জালি হাঁহে পতুমী।
আহোঁ আমি চাই হাঁহি, হাঁহি হাঁহি অকলই॥

(দুইৰো দুফালে প্ৰস্থান)

নীতিপাল।—প্ৰিয়া!
সাধনী।—প্ৰাণেশ্বৰ!
নীতি।—কি যে মনমোহা গীত!
সাধনী।—অতি মনোহৰ!
শুনিছে থাকিম যেন।

নীতি।—আৰু, প্ৰাণেশ্বৰী,—
সাধনী।—কিবা কোৱাঁ প্ৰাণেশ্বৰ!
নীতি।—যেনি চাওঁ, দেখোঁ মাথোঁ মৰমৰ চিন্।
সাধনী।—সঁচা, জগৎ-সংসাৰ যেন মৰমৰ ছবি!
নীতি।—দেহ-মন কিহে জানো জুৰ কৰি নিয়ে!
সাধনী।—শান্তিৰ বিকাশ মাথোঁ দেহ-মনে ধৰে।
নীতি।—সঙ্গ-সুখ মূল তাৰ জানিবাঁ নিশ্চয়।
সাধনী।—জানিছোঁ নিশ্চয়, সঙ্গে মাতে সুখ-দুখ।
নীতি।—তোমাৰ সঙ্গত বিভোল পৰাণ মোৰ!
পাহৰিলোঁ পূৰ্ব্বভাব পূৰ্ব্বৰ সঙ্গতি।
সাধনী।—অতি অনুগ্ৰহ; ভুলিছা সি সব যদি।
নীতি।—ভুলিছোঁ সঁচাকে'; পতিয়াবাঁ প্ৰাণেশ্বৰী।
নলওঁ আগৰ লগ, ভুলিছোঁ সি সব।
সাধনী।—নাই ভুল; ছায়ে ঢকা অগ্নিশিখা তুমি!
নীতি!—আঁহা প্ৰিয়া, ফুৰি ফুৰি যাওঁ বাজ হই।

(দুইৰো প্ৰস্থান)

(নালীয়াৰ প্ৰবেশ)

নালীয়া।—উঃ, কি কথা বোলে! কিনো ময়াপীৰ গীত ঔ! কাণেৰে শুনো, চকুৰে নেদেখোঁ! আকৌ চকুৰে ৰিণিকি ৰিণিকি দেখোঁ যেন লাগিলেও কাণেৰে নুশুনা হওঁ। যাওঁহে যাওঁ, ওচৰ নাপাওঁগৈ। এই পালোঁহি, এই নাই! শুনিলোঁ বাতিৰত, বাজিছে অন্তৰত। উঃ! তাৰ ছেৱে ছেৱে কেনেকৈ নাচিছে বুকুখন মোৰ! ইয়াকেহে পণ্ডিতে হিয়াত-লগা বুলি কয় হ'বলা? আমাতেই ইমান, আমাৰ ন ৰজা নিতাইত -অ, শ্ৰীবিষ্ণু!—নীতিপালত ভালকৈয়ে ইয়াৰ টোপাল পৰিছে চাগে। আমাৰ ন-ৰজা নিতো গীত-নাচতে মজি থাকে বুলি কোৱাকুই কৰা শুনো। এৰা, আমিয়েইচোন ৰব নোৱাৰোঁ! গীত-নাচত কিবা যাদু আছে হ'বলা? যি হওক, বায়নৰ ডেকাই তেও এইটো ভাল বুধি উলিয়াইছে, গীত-নাচৰ জালেৰে নধৰিলে আজি-কালি আমাৰ তাহানিৰ নিতাই-বান্ধক লগ ধৰাই টান হৈছে। উঃ, কটা, কেনে অগুণকাৰী। বোলে যাৰ যহত শাক-সেন্দুৰ, তাক পাতে ভোকোৱা এন্দুৰ! এই নালীয়া নোহোৱা হলে ভোকোন্দৰ পিতেক নিতায়ে সয়ম্বৰত সাধনী আইদেউক পাই ভালকৈয়ে আজি নীতিপাল ৰজা হ'লহেঁতেন! সেই দিনা হলে নালীয়া ককাই নহলে আগকে নেবাঢ়ে; এতিয়া নালীয়াক দেখিলেও নিচিনাতে পৰিল! বাৰু, মই নালীয়াহে হওঁ যদি, আকৌ দিম চিনাকি, খুৰাম ৰাজপাট। হোঁঃ—চেলু কিন্তু ধৰি থৈছোঁ। মোকো ৰাজসভাত বিষয় এখন দিম বোলা আছে। আগৰ মন্ত্ৰী-বিষয়া তো এতিয়া নাই, সোমাই লবলৈ পালে নালীয়াতকৈ বিচৈ-খনীয়া মন্ত্ৰী ওলাব নালাগে দেখোন। বাৰু!

(প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

ৰংঘৰ

(নীতিপাল আৰু নতুন বিষয়াবৰ্গ)

প্ৰথম ন-বিষয়া।—আছে কোন্ এখেত সমান!
দ্বিতীয় ন-বিঃ।—নাই, নাই, নাই।
তৃতীয় ন বিঃ।—পৃথিৱীত এওঁমান নাই নৰপতি।
ৰূপ-গুণ গৌৰৱত নাই সমতুল।
১ম ন বিঃ।—ভাগ্যৱন্ত জন!
২য় ন-বিঃ। দেখোঁতেই ভাগ্যধৰ।
৩য় ন-বিঃ। নহলেনো অযাচিতে পায় ৰাজভোগ?
ভাগ্যত থাকিলে ভোগ মিলেহি আপুনি;
মিছাতে যতন কৰে, দুৰ্ভগীয়া নৰে!
নীতি। বহি খোৱা বেয়া ৰীতি, মন্ত্ৰী-উপদেশ।
শাস্ত্ৰে কয়, ৰাজলক্ষ্মী নাথাকে ৰাজ্যত,
ৰজাই নবয় যদি ৰাজ্যভাৰ নিজে।
৩য় ন-বিঃ।—ঈৰ্ষা ভাবে বৃদ্ধমন্ত্ৰী
কৰিছে বলিয়া; বাকী নাই বুজিবৰ
মনোভাব তাৰ। ভাঙ্গি পাতি ৰজা হ'ব
খোজে সদাগৰ!

২য় ন-বিঃ।—অশোভন অতি।

মহাৰাজে বয় যদি ৰাজকাৰ্য্য ভাৰ,

বিষয়া লাগিছে কিয়?

১ম ন-বিঃ।—স্বৰূপ কইছা তুমি।

নীতি।—হ'ব পাৰে ঠগ।

ৰাণীৰ কাৰণে মাথোঁ আছে অতদিন,

বিষয়া লগতে নতু মন্ত্ৰীৰ সননি

কৰিলোঁহেঁতেন আমি।

৩য় ন-বিঃ।—ৰাণীৰ কাৰণে।

২য় ন-বিঃ।—কিনো কয় মহাৰাজে।

১ম ন-বিঃ—পুৰুষৰ চত্তিৰী, ধৰা-বন্ধা ৰীতি।

ৰজাই ৰাণীৰ চত্ হোৱা আচৰিত।

(নালীয়াৰ প্ৰৱেশ)

নালীয়া।—কিনো কৰা হৈছে? বোলোঁ মেলৰ ভাগে আমাকো আটিব জানো?

১ম বিঃ।—পাৰ হ'ল ভালেখিনি।

নালীয়া।—বাৰু, ভালেখিনি পাৰ হ'ল বুলিয়েই কোৱাঁ-চোন। নালাগে "পাৰ হ'ল ভালেখিনি" বুলিব। সেই বাবে যি পা-পৰাচিত লাগে মোৰ গাতে লাগক।

বিষয়াবৰ্গ।—(ৰহস্যত হাঁহিবলৈ ধৰে।)

২য় বিঃ।—এৰা, আমাৰ ৰংদিয়া ককাই থাকিলেহে মেলৰ ৰগৰটো উঠে! নহয় জানো?

৩য় বিঃ।—নকবা আৰু, এনেজন সৰবৰহী মানুহ পাবলৈকে টান। কোনো এটা কথা পালেই এওঁ যে তাত ৰং নলগাই এৰিব, সি হ'বই নোৱাৰে!

১ম বিঃ।—সেইহে তেও মযো জোকাই লৈছো, বোলো-তেওঁ আহিছে যেতিয়া একেৰি 'আনন্দ' কৰা যাওক।

নালীয়া।—বাৰু, সেইবোৰ থোৱাঁ, মেলখনৰ কথা কোৱাঁচোন। কিনো বিষয়টো আলচ কৰা হৈছিল?

১ম বিঃ।—কৈছোঁ নহয়, বোলোঁ ভালেখিনি আগ বঢ়া হ'ল। এতিয়া আকৌ উলটি ধৰিলেহে হ'ব।

নালীয়া।—বাৰু, আগ বঢ়া হ'ল, ভাল হ'ল, আৰু উলটিব নালাগে। মই নালীয়াই আৰৰপৰা আটাইবোৰ শুনিহে আছিলোঁ। এৰা, হয়তো, ৰজা হৈ নো বাৰু তিৰীৰ চত্ হব পায় নে?

২য় বিঃ। এৰা, আমিও তাকেহে কৈছোঁ।

নালীয়া।—'ৰজা' মানে কি জানানে?

৩য় বিঃ।—বাৰু, কোৱাঁচোন।

নালীয়া। ৰজা। অৰ্থাৎ, ৰ আৰু যা। অথাৎ, ৰ বুলিলে ৰব লাগিব, আৰু যা বুলিলে যাব লাগিব। এনেজন ৰজাক আনে ৰোৱাব আৰু যোৱাব লাগিলে আৰু থাকিল কি?

বি সকল। হয়, হয়, ঠিক ঠিক্।

নালীয়া। পিচে, ৰজা যদি ৰাণীৰ চত্ হ'ল, আৰু মন্ত্ৰীৰ মন্ত্ৰণাৰ ফল হ'ল, তেন্তে ৰজাৰ অৰ্থই গুচিল। নহয় জানো?

নীতি। সঁচা। ধৰিবলৈ গলে, মনত লাগি যোৱা কথা। উঃ, এওঁ পিচক্ষণীয়া মানুহ দেও, বহুত কথা ঢুকি পাযগৈ।

২য় বিঃ। সঁচা মহাৰাজ, এও বৰ বুধিয়ক পণ্ডিত মানুহ।

৩য় বিঃ। -মহাৰাজ, এওঁ সভাপণ্ডিত হ'বৰ যোগ্য।

১ম বিঃ। -মহাৰাজৰ আজ্ঞা হলেই হয়। আগৰ সভা পণ্ডিতটোও সেই বুঢ়া মন্ত্ৰীটোৰ নিচিনা আওপকীয়া মানুহ, জানিছা।

নীতি। বাৰু, একো কথা নাই। কাইলৈ আমাৰ আজ্ঞা শুনাই দিবাহঁক, তেওঁক ভাঙ্গি এওঁক সভাপণ্ডিত পতা হ'ল।

বিঃ সকল।—ধন্য ধন্য মহাৰাজ!

নালীয়া।—মহাৰাজে শুনে যদি এটা কথা কব খোজোঁ।

নীতি।—কোৱাঁ কি কথা আছে। শুশুনিম কিয়?

নালীয়া।—নহয়, অকল কাণেৰে শুনিলেই নহ'ব।

নীতি।—বাৰু, কামেৰেই দেখামচোন। কোৱাঁ কি কথা।

নালীয়া।- বাৰু, কওঁ তেন্তে,—

১ম বিঃ।-ওঁ, তুমি কই যোৱা, আমিও কাণ দিছোঁ।

নালীয়া—মহাৰাজ! দিখৌমুখ, জাঁজিমুখ, এইবিলাক বৰ বেপেৰুৱা ঠাই। তাত নাৱেৰে গৈ বেহা-বেপাৰ কৰিবলৈ বৰ সুচল।

২য় বিঃ।—পিচে, পিচে?

নালীয়া।—পিচে, মহাৰাজে আদেশ দিলে সৈন্য-সামন্ত লগত লৈ এজন সেনাপতিয়ে তাৰ আলেখ-লেখ বুজি আহিবগৈ পাৰে। সুচল হয় যদি, আমাৰ ফালৰ বস্তুৰ বেচ্ তাত দুগুণ তিনিগুণকৈ পোৱা যাব নহয়। আন নোলায় যদি, প্ৰথমে ময়ে বাট লগাই দিম। নহলে ৰাজ্যৰ উন্নতি কেনেকৈ হ'ব?

১ম বিঃ।-ধইন্, ধইন্! পণ্ডিতৰ উপযুক্ত কথা।

নীতি।—সঁচা, তেওঁ বুদ্ধিমানৰ চিনাকি দিছে। কিন্তু নোসোধা-নেমেলাকৈ লোকৰ ৰাজ্যলৈ যোৱা উচিত হ'ব জানো?

নালীয়া।-এইটো কথাও সুধিব লাগিছেনে? মহাৰাজ, আমাৰ কিবা ৰণ দিবলৈ যাব নে? এনে কামত সোধাপোছা লগালে লোকে পাতল হে বুলিব।

২য় বিঃ।- সঁচা মহাৰাজ, সুধিবলৈ গলে পৰ-ৰজাই মহাৰাজক দুৰ্ব্বল হে বুজিব।

নীতি।—বাৰু, তেন্তে একো কথা নাই, তোমালোকে ভাল দেখিছা যদি, যাওক এজন সেনাপতি।

নালীয়া।—এৰা, ৰজাৰ লায়েকৰ হুকুম।

নীতি।—বাৰু, এতিয়া উঠা হওক। ৰাতিকৈ নাচ-গান হ'ব; আহিবাইক।

বিষয়াবৰ্গ।—ভাল, ভাল। আহিব লাগে।

(সকলোৰে প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

মন্ত্ৰীৰ চ'ৰা

(মন্ত্ৰী আৰু ভগা-বিষয়াবৰ্গ)

মন্ত্ৰী।—কি দিম উপায়!
নিৰুপায় নিজে মই।
কুক্ষণত ধৰিছিলোঁ মন্ত্ৰীবাব এই;
প্ৰতিফল তাৰ এবে লাগিছোঁ ভুঞ্জিব!

১ম ভঃ বিঃ। ভুঞ্জিছোঁ আমিও।
কিন্তু মন্ত্ৰী, আছে কোন, তোমাৰ বাহিৰে
দিয়ে এটি সজ বুদ্ধি বিপদ কালত?
সেইহে চাপিছোঁ কাষ।

মন্ত্ৰী। চাপিছাহি কাষ,
বুজিছোঁ উদ্দেশ্য তোমাসাৰ। কিন্তু হায়,
দাত-ভগা সাপপ্ৰায় আছোঁ পৰি এবে।
শক্তিহীন হলোঁ মই সিদিনাৰেপৰা
বৃদ্ধৰাজ ধৰ্ম্মধ্বজ চলিলে যিদিনা,
অধৰ্ম্ম অনীতি মাজে ইৰাজ্যক এৰি!
নিজগাল এবে তেওঁ কুণ্ডিল কুণ্ডত,—
আধামৰা আধাজীয়া আছোঁ আমি পৰি
এৰিব নোৱাৰি দেহা!

২য় ভঃ বিঃ।—মন্ত্ৰীবৰ!
নোহোঁ আমি বিষয় প্ৰত্যাশী।
নোৱাৰোঁ সহিব কিন্তু মৰ্য্যাদাৰ হানি!

মন্ত্ৰী।- বুজিছোঁ সকলো।
নীচ আজি উচ্চ হ'ল, উচ্চ হ'ল নীচ,
বিপৰীত হ'ল সব ৰাজ-ৰাজোৱাৰ।
স্বেচ্ছাচাৰ সাৰ হ'ল এই ৰাজত্বত।
পেলাব নোৱাৰি মাথোঁ পূৰ্ব্ব ৰাজনৰ
শেষ অনুৰোধ-বাণী, আছোঁ মই জানোঁ,
নামমাত্ৰ মন্ত্ৰী হই।

১ম ভঃ বিঃ—মত্ত হ'ল ৰজা,
নীচ মন্ত্ৰণাত পৰি।

মন্ত্ৰী।—কি কম অধিক!
নামানে আমাৰ কথা শাসন-কাৰ্য্যত।
সিদিনা পাচিছে এক নৱ সেনাপতি,
সৈন্য-সামন্তেৰে আহোম ৰাজ্যত গই,
বিনা সম্মতিৰে, গুপ্ত স্বাৰ্থ সিদ্ধি হেতু
পশিব তৰিতে। পৰ-ৰাজ্য প্ৰৱেশৰ
নিষেধ সৰ্ব্বত্ৰে, অনুমতি অবিহনে;

নতুবা নিশ্চয় বিপদ ঘটনা হয়,
ৰাজনীতি মতে। বুজালোঁ ৰজাক যত
নামানিলে কথা। ঘটিব জঞ্জাল এবে!
২য় ভঃ বিঃ।—কি হ'ব উপায়?
মন্ত্ৰী।—ছাৰখাৰ হ'ব ৰাজ্য!
১ম ভঃ বিঃ।—লাগিব বিষম ৰণ?
মন্ত্ৰী।—ভুল নাই তাত।
প্ৰতাপী আহোম ৰাজে নেৰিব কাচিৎ
নকৰি উচিত প্ৰতিকাৰ। শুনি আছে
এই ৰাজ্যৰ দুৰ্দ্দশা, ৰাজ-দুৰ্ব্বলতা।
নেৰিব সুযোগ এই।
২য় ভঃ বিঃ। হাত নাই আমাসাৰ!
কিমতে বাধিম আগন্তুক বিপদক
আগভেটা মাৰি?
মন্ত্ৰী।—নাই হাত,
যিবা পাৰোঁ, কৰিবোঁ তথাপি।
১ম ভঃ বিঃ।- দেখোঁ বাৰু,
কি পাৰোঁ কৰিব সময়ত।
২য় ভঃ বিঃ।—ভাল তেন্তে,
উঠোঁহে এতিয়া।
মন্ত্ৰী।- উঠা হোক।

(সকলোৰে প্ৰস্থান)

পঞ্চম গৰ্ভাঙ্ক

অন্তঃপুৰ

(সাধনী আৰু নীতিপাল)

নীতি।—শুনিছানে,
আতিকই লাগিছে ভাগৰ!
সাধনী।—কিয় প্ৰাণেশ্বৰ!
কিয়নো কাতৰ এনে?
নীতি।—আমোদে উপচি পৰি
লগালে ভাগৰ। গীত-বাদ্য, নাচ-বাগ,
হইছিল বহু, আমোদ-আহ্লাদ আৰু
প্ৰিয়-ভোজনত দিলোঁ যোগ অতিকই।
তাতেহে লাগিছে এবে এনুৱা ভাগৰ;
উঠিবৰে যোৱা নাই মন। ইমানতো
বিষয়াসকলে ধৰি ৰাখিবহে খোজে!
ৰসিকতা দেখি মোৰ মুগ্ধ সকলোটি;
--লগকে নেৰায়!
সাধনী।- জানো মই,
আতিকে ৰসিক তুমি নাথ।
কিন্তু জানা, ৰসিকতা নহয় ৰজাৰ
প্ৰথম কৰ্ত্তব্য কাম। আগে ৰাজ-কাজ,
পাচে যত আমোদ-আহ্লাদ। সঙ্গদোষ,
বিলাসিতা কৰা পৰিহাৰ, চোৰাঁ যদি
হ'বলই খ্যাতনামা নৃপতি-ৰতন।
নীতি— নোৱাৰি এৰিব দেখোঁ,
বহি গৈছে ৰাপ! নৃপতি-ৰতন নাম
অৰণ্যে বিচাৰোঁ।
সাধনী।—নোৱাৰি এৰিব!
কিবা কোৱাঁ প্ৰাণেশ্বৰ?
অভ্যাসে সকলো পাৰে, মানিবাঁ ধ্ৰুৱপ।
নীতি।—সঁচা প্ৰিয়া,
অভ্যাসত সম্ভৱ সকলো।
নৰৰ অসাধ্য কাম নাই মৰতত।
সাধনী।—ৰাখা তেন্তে অনুৰোধ।
নীতি।—কিবা ৰখা নাই?
সাধনী।—কতনা কাকুতি কৰি
ধৰিলোঁ তোমাক, অসৎ সঙ্গীৰ লগ
এৰিবৰ হেতু; নাৰাখিলাঁ কথা, আৰু
আত্ম-অঙ্গীকাৰ।
নীতি।—অসৎ বুলিছাঁ কাক?
সাধনী।—নৱ-বিষয়াক।
নীতি।—ৰাজ-বিষয়াক?
নহলে বিষয়া পিচে, চলিব কিমতে
ৰাজকাৰ্য্য আলোচনা? পূৰ্ব্বৰ সঙ্গতি

এৰোঁ বোলা সত্য কথা ; কিন্তু সি নহয়
ৰাজকীয় বিষয়ত।

সাধনী।—পূৰ্ব্বত যিমতে
চলিছিল ৰাজকাৰ্য্য,
পুৰণি বিষয়া স'তে পূৰ্ব্বৰাজত্বত,
নচলিব কিয় আজি সেই বিষয়াৰে ?

নীতি।—ভাবিছোঁ নচলে।
পতা হ'ল সেই হে নতুন।
ভাবি মোৰ পূৰ্ব্ব হীনদশা, হ'ব পাৰে
অভিমানী পুৰণি বিষয়া, তাৰ ফলে,
ৰাজকাৰ্য্য হ'ব পাৰে ক্ষতি। সেই অৰ্থে
প্ৰিয়া, মই সলালোঁ বিষয়া, ললোঁ বাছি
সমনীয়া আদি জীৱনৰ। সমনীয়া
বিষয়াই ভাল মোৰ চিন্তিব সদায়।

সাধনী।—পৰিছা ভ্ৰমত।
নিচিনিলা বন্ধু কোন !
পিতৃৰ চৰম মিত্ৰ পুৰণি বিষয়া,
নোৱাৰে শতুৰু হ'ব এই জীৱনত।
কিন্তু যাক মিত্ৰ ভাবি পাতিছাঁ বিষয়া,
সি সৱে চাপিছে কাষ স্বাৰ্থৰ কাৰণে,
নিছে মাথোঁ পিচুৱাই অবাটে তোমাক।
ঘটাব জঞ্জাল জানা, ৰাজ্যৰ অহিত।

নীতি।—নুবুজোঁ কি বেয়া বাটে
নিছে পিচুৱাই নতুন বিষয়াসৱে।
নিচিন্তে অহিত মোৰ নতুন মন্ত্ৰীয়ে,
নহয় শতুৰু।

সাধনী।—শতুৰু নহ'ব পাৰে,
কিন্তু ঘোৰ স্বাৰ্থপৰ নতুন বিষয়া,
নাই তাত ভুল। স্বাৰ্থৰ কাৰণে মাথো
মিছা গুণ গায় !

নীতি।—কিবা স্বাৰ্থ
বোলা তুমি নুবুজিলোঁ মই।
নিচিন্তে আপোন স্বাৰ্থ কোন হেন জন
আছে লিপ্ত সংসাৰত বৈৰাগী নহই ?

সাধনী।—নাই হেন জন।
বোলা নাই স্বাৰ্থ সংসাৰীৰ।
স্বাৰ্থপৰ বোলে তাক যি জনে সততে
আপোন উদ্দেশ্য সাধে পৰক ডুবাই।
তদ্ৰূপ জানিবা সেই নৱ বিষয়াক ;
তুষ্ট কৰি মন তব মিছা গুণ গাই
আপোন উদ্দেশ্য সিদ্ধি কৰিবৰ গুণে
ৰাজাৰ অহিত কত লাগিছে সাধিব !
বাঢ়িছে নিতকে তব কুযশ ৰটনা।

নীতি।—কুযশ-ৰটনা হেতু
নডৰাওঁ মই। বিহিম কঠোৰ দণ্ড
নিন্দুক জনক, পৰিব যেতিয়া ধৰা।
ৰজা হলে যশ নিন্দা উভয়ৰে ভাগী।

সাধনী।—নকবা সি কথা।
নিন্দুক-পীড়ন জানা নোহে নীতিবল,
মিত্ৰভাৱে কৰা বিধি শত্ৰুক দমন।

নীতি।—সাংসাৰিক পক্ষে ইটো
নহয় সম্ভৱ। শত্ৰুৱে আদৰ পালে
শত্ৰু বাঢ়ি যায়, সংসাৰত সাক্ষী তাৰ
আছে অগণন।

সাধনী।—সাধু, সন্ত, জ্ঞানীজনে
সততে শত্ৰুক দমে সদাচাৰ সতে,
দেখিছোঁ বিস্তৰ।

নীতি।—অজ্ঞান, অসাধু মই ?
নকবা অধিক ! কৰিম আপুনি মই
যিবা দেখোঁ ভাল।

(উচাৎ মাৰি গুচি যায়)

সাধনী।—হিতে বিপৰীত
বোলে লোকে ইয়াকেই !
কালৰ কুটীলা গতি পোনাবৰ গুণে,
কত চিন্তা কত যত্ন হইছে বিফল !

তৃতীয় অঙ্কপাত

চতুৰ্থ অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

দিখৌমুখ

(সসৈন্যে ছুটীয়া সেনাপতি)

ছুঃ সেনাপতি।—পৰৰ ৰাজ্যত আমি
সোমালোঁহি আজি; বিনা সম্মতিৰে;
ঘটিব জঞ্জাল বহু জানিবা নিশ্চয়!
আজ্ঞাধীন ভৃত্য জানা, আমি সকলোটি,
আহিছোঁ আদেশমতে আপোন ৰজাৰ;
শৰীৰ পতন কিম্বা উদ্দেশ্য-সাধন,
এই পণ ৰাখিবা মনত! নহটিবা
কেবেঁ ক'তো, ঘটে যদি বিপৰ্য্যয়। বোলা
সৱে, মহাৰাজৰ জয়!
ছুঃ সৈন্য।—জয় মহাৰাজৰ জয়!
(সসৈন্যে কনচেং ডাঙ্গৰীয়াৰ প্ৰৱেশ)
কনচেং।- কোনে কাৰ জয়ধ্বনি
কৰে অকস্মাৎ! "জয় মহাৰাজৰ জয়"
বিজাতীয় স্বৰ, বাজিছে কাণত আহি!
দেখোঁ বাৰু কোন, আহিছে ফৰিং উৰি
অগ্নি-কুণ্ডলই!- বোলা সৱে উচ্চৰৱে
"স্বৰ্গদেৱৰ জয়"!
আহোম সৈন্য।--জয় স্বৰ্গদেৱৰ জয়!
কনচেং।—ইকি!
সঁচাকৈয়ে দেখোঁ পৰে আহি উৰি,
উন্মত্ত পতঙ্গদল কোনোবা ৰাজ্যৰ!
যি বীৰ্য্য-প্ৰতাপ-তাপ সহিব নোৱাৰি,
অসম ভূপতি সৱে মানিছে শৰণ;
অসীম ক্ষমতাধাৰী কমতা-ঈশ্বৰ,
কৰতল হ'ল আজি যাৰ প্ৰভাৱত;
অদম্য কছাৰি ৰাজ হই প্ৰদমিত,
পদানত হয় আজি যাৰ; যাৰ নামে
জ্বলে আজি অসমৰ নাম; সেই তেজ,
সেই বীৰ্য্য, সেই জ্যোতি ৰাজ-গৌৰৱৰ
ভুলি,—নতু অৱহেলি,—আহে কোন উৰি
জীৱন জঁাপিব হেতু জলন্ত কুণ্ডত!
অথবা, নোহে সি সামান্য নৰ, নহয়
উন্মাদ; বীৰবাহু জানোবা সিজন।
হোক সেয়ে, হয় যদি সত্য সেয়ে হাঁয়,
জুৰাম জীৱন মোৰ হেঁপাহ গুচাই,
প্ৰকৃত বীৰক আজি বীৰত্ব দেখাই!
কছাৰি ৰণত তৃপ্তি নপলালে মোৰ,
নাপালোঁ যুঁজত কোনো সমনীয়া বীৰ,—
সন্ধি-সূত্ৰে বদ্ধ হ'ল কমতাৰ পতি,
নহল সমুখ কোনো কোচ সেনাপতি।
গৌৰেশ্বৰে দৰ্প কৰি পঠিয়ালে যিবা
সাহসী সৈনিকদল, প্ৰবল প্ৰতাপে,
—নবাব স্বয়ং যাৰ বীৰ সেনাপতি,—
সিও হাঁয় আঁতৰিল নিলগৰেপৰা,
সবংশে নিধন কৰি নীলধ্বজ ৰাজ;
নাহিল উজাই এৰি কমতাৰ সীমা!
যিবা হোক, সোধোঁ এওঁ কোন ৰণবীৰ,
কিবা জানি এৱেঁ মোৰ পূৰায় কামনা।
(ছুটীয়া সেনাপতিৰ প্ৰতি)
কোন তুমি?
কিবা সাহে প্ৰবেশা ইঠাই?
কোনে দিলে অনুমতি সসৈন্যে তোমাক
পৰৰাজ্য প্ৰবেশৰ হেতু? কিবা আছে
চিন্ সম্মতিৰ? নাই যদি অনুমতি,
সমুচিত শাস্তি তাৰ পাবা হাতে-হাতে।
ছুঃ সেনাপতি।—নাই অনুমতি।
নাই তাৰ প্ৰয়োজন।
আদেশিত সেনাপতি ছুটীয়া ৰাজৰ,
আপোন উদ্দেশ্য লই আহিছোঁ ইঠাই।
নেদেখিবা বিভীষিকা নডৰোঁ কথাত।
কনচেং।—আচৰিত!
ক'ৰ এনে অসভ্য বৰ্ব্বৰ!
নাধাৰে সি ৰাজনীতি, বোলে সেনাপতি!

কোন তেওঁ অসভ্য ভূপতি,—অযাচিতে
পাচে সেনা বিনে সন্মতিৰে! বাকী নাই
বুজিবৰ, ৰীতি-নীতি-হীন সেই দেশ।

ছুঃ সেনাপতি।—কিবা কোৱাঁ!
ৰাজনিন্দা সমুখত মোৰ!
কাপুৰুষ তুমি! নতুবা ৰজাৰ নিন্দা,
সেনাপতি হই, কি সতে কৰিছা তুমি?
বিতণ্ডাৰ কাজ নাই, আহাঁ আগ বাঢ়ি,
লোৱাঁহি চিনাকি মোৰ ৰাজ-মহিমাৰ।

কনচেং।—নিৰ্ভীক হৃদয়!
শত্ৰুৰু যদ্যপি তুমি,
শলাগোঁ বিস্তৰ তৱ এনে পুৰুষালি।
ধন্য সেই ৰণ-ৰত্ন, ধন্য তাৰ তেজ,
ধন্য তাৰ জন্ম-মৃত্যু, ধন্য আত্মত্যাগ,
কৰ্ত্তব্যত মজি যেয়ে, পাহৰি আপোন,
ৰাজ্যৰ গৌৰৱ হেতু ৰাজাজ্ঞা-পালন,
জীৱনৰ উচ্চ ব্ৰত পালে প্ৰাণপণে।
সঁচাকৈয়ে হাঁয়, স্বদেশ, বিদেশ আৰু
আপদ-সঙ্কট-বোধ নাথাকে মনত,
নকৰে ভ্ৰূক্ষেপ আৰু প্ৰাণ-ভয়লই
কৰ্ত্তব্যত উন্মত্ত হয় যেবে প্ৰাণ!
ধন্য তৱ ৰাজভক্তি, ধন্য সেই ভূমি,
ভাগ্যত যি হয় এনে বীৰপ্ৰসৱিনী।
সাৰ্থক মানিম ময়ো মোৰ বাহুবল,
যুঁজি আজি তোমাহেন বীৰকেশৰীৰে।
আহাঁ চাপি, সাজু হোৱাঁ, ধৰাঁ তৰোৱাল,
সন্মুখ সংগ্ৰাম পাতোঁ আহাঁ ৰণবীৰ।

(দুইৰো যুদ্ধ ; ছুটীয়া সেনাপতি নিৰস্ত্ৰ আৰু পৰাস্ত)

কনচেং। - লভিলোঁ এফেৰি তৃপ্তি
যুজি এই বীৰবাহু সতে। ধন্য তুমি,
ধন্য তৱ পৰাক্ৰম! যুঁজিলোঁ বিস্তৰ,
কোচ, থেন, কছাৰিৰ সেনাপতি সতে,
পৰা নাই ঠাৱৰিব কেৰে অতপৰ
সন্মুখ সংগ্ৰাম পাতি মোৰ সমীপত।
স্বৰ্ণ, ৰত্ন, কামপীঠ দিক্-বিজয়ত
পোৱা নাই লগ এনে লৰোঁতা এজন,
পোৱা নাই তৃপ্তি মোৰ সমৰ-তৃষ্ণাই ;
পূৰালে আজিহে সাধ ছুটীয়া ৰজাই
পঠিয়াই ৰণবেশে নিজ উদ্দেশ্যত
এনে সেনাপতি। (আহোম সেনাৰ প্ৰতি)
বন্দী কৰ সেনাপতি
যথা সন্মানেৰে।

আঃ সেনা।—ভাল, দেউতা-ঈশ্বৰ। (বন্দী কৰে)

কনচেং।—লই বল বন্দী এবে
যথা স্থানলই। বিপক্ষৰ সেনাদল
যাব পাৰে নিৰাপদে স্বদেশৰ মুখে,
বাৰ্ত্তা দিবলই।

(প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

কুণ্ডিল-কুণ্ড

(তাপস-তাপসীবেশী ধৰ্ম্মধ্বজ আৰু লীলাৱতী)

ধৰ্ম্ম। – অকস্মাৎ ধ্যানভঙ্গ!

লীলা।—কিয় প্ৰাণেশ্বৰ?

ধৰ্ম্ম।– নুবুজোঁ কাৰণ ভাল।
অকস্মাৎ মনপ্ৰাণ কঁপি উঠি ঘনে
ভাঙ্গিলে গভীৰ সৃষ্টি-ধ্যান। আঁকিছিলোঁ
একমনে, একধ্যানে, তন্ময় প্ৰাণেৰে,
সুন্দৰ সৃষ্টিৰ ছবি হৃদয়-ফলিত!
ক্ষুদ্ৰ বালিচাঁহীপৰা গজহস্তীলই
কত যে পৰাণী হাঁয়, প্ৰাণী-জগতত
নাচি-খেলি হেলাৰঙ্গে আহে আৰু যায় ;—
পাপৰ বোকাত কত পৰে আৰু উঠে!
হঁহা-কন্দা সংসাৰৰ দৈনিক আখৰা
চলিছে কতনা হাঁয় যুগ-যুগান্তৰ!
বিচিত্ৰ সংসাৰ-চিত্ৰ আকোঁতে-আকোঁতে,
আঁকা গ'ল অতৰ্কিতে আপোন সংসাৰ ;—

পুৰণি কালত সেই পিতৃপুৰুষৰ
প্ৰতিষ্ঠিত পৰিয়াল নিছিগা ধাৰেৰে,
হিয়াত চিত্ৰিত হ'ল পুণ্য ৰহণেৰে!
হিয়া মোৰ নাচি উঠে পৰিলে মনত
পূৰ্ণ তেজে জ্বলি উঠা বংশৰ ছবিটি,
যশস্যাৰ সৌৰভ বিলাই! আৰু সেই
সংসাৰৰ বিকাশ-বিস্তৃতি আগে-পিচে
পূৰ্ব্বপুৰুষৰ, দেখিলে জুৰায় প্ৰাণ!
কিন্তু হাঁয় সামৰণ! নাযায় কথন!
কান্দি উঠে প্ৰাণ!

লীলা।—কোৱাঁ প্ৰাণেশ্বৰ,
কোৱাঁ ভাঙ্গি ততালিকে
কিবা দৃশ্য অকথন দেখিলাঁ ধ্যানত?
কঁপি উঠে মাতৃহিয়া কিবা আশঙ্কাত,
স্মৰি মোৰ পুত্ৰ-কন্যা সাধক-সাধনী।

ধৰ্ম্ম।—কিনো কম ভাঙ্গি!
আপুনি পাইছা ঢুকি,
কি যে দৃশ্য আঁকি মই হইছো ব্যথিত।

লীলা।—কিবা দৃশ্য?
কোৱাঁ ভাঙ্গি, নকৰাঁ পলম।
দেখোঁ যেন অকালত শতুৰু-ৰাহুৱে
গ্ৰাসিছে গৌৰৱ-সূৰ্য্য ছুটীয়াকাশৰ,
গ্ৰাসে আৰু চন্দ্ৰ-তৰা নাম যশস্যাৰ,
পলায় পপীয়া তৰা বিশ্বাশক্ষে উৰি,
ৰসাতলে যায়-যায় ছুটীয়া-ভুৱন!
ৰক্ষা কৰাঁ, কোৱাঁ ক'ত সাধক-সাধনী।

ধৰ্ম্ম।—অসহন সামৰণ
সেই সংসাৰৰ! ছুটীয়াৰ বংশাৱলী
অন্ত হ'ব সাধনী সইতে। অচিৰতে
ৰাজলক্ষ্মী জাঁপিবহি এই কুণ্ডোপৰি।
অনীতিত পোত গ'ল পুণ্য ৰাজনীতি;
অধৰ্ম্মৰ পৰাক্ৰম ধৰ্ম্মৰাজ্য জৰি,
হ'ল অতিপাত। পুণ্য ৰাজ্য ৰসাতলে
আজি যায়, কালি যায়! আছে মাথোঁ ৰই,
--আছে দিন দুই,—সাধনী কাৰণে আৰু
বৃদ্ধ মন্ত্ৰীগুণে!

লীলা।—ইয়াকে 'কৰিলে ভাল
ঈশ্বৰে' আমাৰ!

ধৰ্ম্ম।—নকৰাঁ আক্ষেপ।
ঈশ্বৰৰ অভিপ্ৰায় কি বুজিম আমি!
কৰিছে ইয়াকে ভাল আমাৰ কাৰণে,
মানিবাঁ ধ্ৰুৱ তুমি। নহ'লে নিশ্চয
সাধনীত সামৰণ ছুটীয়া বংশৰ
নপৰি বাঢ়িল হয় বঢ়াবৰ গুণে
পাপ-তাপ অপযশ কলঙ্ক কুলৰ।
আৰু স্থিৰ, ভাবি চাবাঁ, সমানে নাযায়
কাৰো ক'তো চিৰকাল; উঠিলে এবাৰ
নিশ্চয় পৰিব লাগে। চলিছে অনন্ত
সৃষ্টি ৰীতি এই!

(মৌন)

অহ, দুৰ্ব্বল চিন্তাত
গলোঁ উটি বহুদূৰ!
অপত্য স্নেহৰ ভাবে নিলে ভটীয়াই
বহুদূৰ, বহুদূৰ, মন ওভতাই!
কাল নাই ভাবিবৰ পূৰ্ব্বৰ কাহিনী।
আছাঁ প্ৰিয়া, অৰ্দ্ধাঙ্গিনী, সহধৰমিণী
জীৱনে মৰণে মোৰ ধ্যান-সহচৰী,
এয়ে এবে সম্পূৰ্ণ সংসাৰ। নাই আৰু
জীৱনৰ সুখ-দুখ, বিষয়-বাসনা
সকলো পৰিল জঁয় সামৰণমুখে,
হব তাৰ মুক্তি এবে নাই বহুদিন।
জৰা-মৃত্যু অতিক্ৰমি, লভোঁ কিনোমতে
অনন্ত আত্মাৰ সতে আত্মাৰ মিলন,—
সেই চিন্তা, সেই ধ্যান, সেই লক্ষ্য ধৰি,
অন্তিম কালত প্ৰিয়া, তবোঁ আহাঁ আমি।
আহাঁ যাওঁ, বহোঁগই সিপাৰে ধ্যানত।

(প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

আহোম ৰাজ-চৰা

(চুহুম্মুং স্বৰ্গদেৱ আৰু কনচেং বৰপাত্ৰ ডাঙ্গৰীয়া)

কনচেং।—নাজানে কি ৰাজনীতি
ছুটীয়া ৰজাই? অনধিকাৰ চৰ্চ্চাৰ
এক অপৰাধ নহওঁতে সুবিচাৰ,
ঘূৰি অপৰাধ লগালে সিদিনা, ঘূৰি
গাঁও-ভুঁই লুটি!

চুহুম্মুং।—থাকিলে কি কাণ্ডজ্ঞান,
হয় এনে গতি! ছুটীয়াৰ ৰাজ্য এবে
ৰসাতল-প্ৰায়।—নাই নীতি, নাই ধৰ্ম্ম,
বাচ-সুবিচাৰ; পাহৰিলে ৰাজনীতি
ছুটীয়া ৰজাই।

কনচেং।—শুনিছোঁ বিস্তৰ
ৰাজ্যৰ দুৰ্গতি কথা;
নীতিপাল অনীতিৰ পূৰ্ণ অৱতাৰ।
নাশিছে যশস্যাৰাশি পূৰ্ব্ব-ৰাজনৰ,
ধৰ্ম্মাধৰ্ম্ম পাপ-পুণ্য নকৰে বিচাৰ;
বিষয়াক ভাঙ্গি-পাতি লণ্ড-ভণ্ড কৰি,
পীড়িছে প্ৰজাক নিতে ন-ন ৰূপ ধৰি,
বিলাস বাসনা হাঁয় পুৰাবৰ গুণে!
এতেকতে স্বৰ্গদেৱ, উচিত আমাৰ,
উদ্ধাৰোঁ পতিত ৰাজ্য ঘোৰ সমস্যাত।
মিলিছে সুযোগ তাৰ, এই সময়ত,
আজ্ঞা মাথোঁ লাগে মোক, যাম এতিক্ষণে।
আক্ৰমি বিক্ৰমে গই ছুটীয়া ৰজাক,
গুচাই অপায় যত অধৰ্ম্মাচাৰৰ,
শান্তিৰ ৰাজত্ব পুনু কৰিম স্থাপন।
নতুবা, ৰজাক ভাঙ্গি ছুটীয়া ৰাজ্যত
আহোম শাসন-নীতি কৰিম প্ৰচাৰ।
পলমে বিঘিনি মাতে ইসৱ কাৰ্য্যত,
যাব পাৰোঁ ততালিকে অনুমতি পালে।

চুহুম্মুং।—বীৰোচিত বাণী!
ৰাজনীতি পৰা নাই এৰা।
কিন্তু ডাঙ্গৰীয়া, ইচ্ছা মোৰ, পাচোঁ অন্য
বীৰ সেনাপতি;—প্ৰথমতে ঘাইবল
কিয় যাবাঁ তুমি? ঘাটে যদি অন্য বীৰ
জনে-জনে গই, পচিম তোমাক পাচে।

কনচেং।—স্বৰ্গদেৱ,
পালোঁ প্ৰাণে বিষম আঘাত!
থাকোঁতে ই কনচেং সেনাধ্যক্ষ হই
আহোমৰ ৰণবলে পৰাভৱ মানি
আনিব কলঙ্ক? পাৰোঁ যদি একেবাৰে
জিনিব শত্ৰুক, কিয় পাচোঁ বাৰে বাৰে
অন্য সেনাপতি, পাঙ্গি লই পৰাজয়?
বাঞ্ছা মোৰ, জীৱনত নেদেখোঁ বিমুখ
সমুখ ৰণত গই নিজ ৰণ-বল।
আৰু এক অনুৰোধ;—চিৰকাল যেন
অনুমতি পাই থাকোঁ এনে সুযোগত,
ৰণত বীৰেন্দ্ৰ নাম লভিবৰ গুণে।

চুহুম্মুং।—ডাঙ্গৰীয়া,
জানো আমি বিক্ৰম তোমাৰ।
সম্ভৱ সকলো তোমালই। যোৱাঁ তেন্তে,
কৰাঁগই যথাবিধি যুদ্ধ-আয়োজন।
কিন্তু, এটি উপদেশ ৰাখিবা মনত,—
ৰাখিবাঁ গোপনে অতি। নিতান্ত যদিহে,
কৰা হয় আক্ৰমণ ছুটীয়া ৰজাক,
হব লাগে আমাসাৰ; হ'ব লাগে
ৰাজ্য লাভ নিতান্ত আমাৰ; হ'ব লাগে
আৰু লাভ সাধনী-ৰতন। সেই অৰ্থে,
পাৰ্য্যমানে সন্ধি নকৰিবাঁ। বিনা-ৰণে
কৰে যদি সমৰ্পণ ৰাজ্য-ধন-জন,
নাৰাখিবাঁ হেতু তাত, মিত্ৰ-ৰাজনৰ।
অথবা, বিষম দাবী কৰিবাঁ ঘোষণা;—
সাধনী ৰাণীৰ স'তে 'কুবেৰ সম্পত্তি',
লাগিব সঁপিব, লাগে যদি অধিকাৰ
কৰদ ৰাজাৰ।—এয়ে সাৰ উপদেশ।

কনচেং ।—আহোঁ, স্বৰ্গদেৱ,
শিৰোধাৰ্য্য উপদেশ।
(প্ৰস্থান)

চুহম্মুং ।—যাওঁ, আৰু
কৰোঁগই যুগুতি বিশেষ,
অন্য মন্ত্ৰী, সেনাপতি, বিষয়াৰে সতে।
(প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

চুটীয়া ৰজাৰ মন্ত্ৰণা-ঘৰ

(সাধনী, নীতিপাল আৰু মন্ত্ৰী)

নীতি।—নিৰুপায় হলোঁ এবে,
নাই পৰিত্ৰাণ! শুশুনি ৰাণীৰ কথা,
মন্ত্ৰী-উপদেশ, অসৎ সঙ্গত হাঁয়,
মজিলোঁ সমূলি! হাতে-হাতে প্ৰতিফল
ফলিছে এতিয়া!

সাধনী।—নহবাঁ অধীৰ!
বিপদত ধৈৰ্য্য ধৰা পুৰুষৰ ৰীতি;
অধৈৰ্য্যে বঢ়াই যত আপদ-জঞ্জাল,
উদ্ধাৰৰ গতিবোধ কৰে সি সমূলি।
নাই আৰু এটি ক্ষণ অনুতাপলই,
ফল নাই আক্ষেপত। আসন্ন কালত
এবে লোৱাঁ মন্ত্ৰী-উপদেশ, হ'ব পাৰে
অপায়-বিঘিনি নাশ।

মন্ত্ৰী!—কি আছে উপায়!
জুৰুলা ই ৰাজ্য এবে।
ৰণবল, অৰ্থবল আৰু নীতিবল
অকালত ক্ষয় হ'ল; প্ৰজা বিশৃঙ্খল;
বাধিবাঁ কিৰূপে দুৰ্জ্জয় আহোম-সেনা?
তাতে জানাঁ, কনচেং নিজে সেনাপতি;
যাৰ নামে কম্পমান দিল্লী-সিংহাসন।

সাধনী।—শুনা আছে
কনচেং বীৰৰ কাহিনী।
নাই এনে বীৰ আজি চুটীয়া ৰাজ্যত
ক্ষন্তেক ঠাৰবে সেই বীৰৰ আগত;
নাই আজি সেনাপতি পূৰ্ব্ব ৰাজত্বৰ;
সি হেতু উচিত নোহে যুদ্ধ আয়োজন,
অনৰ্থক ৰক্তপাত নাই প্ৰয়োজন।
দিয়াঁ যুক্তি মন্ত্ৰীবৰ, কিৰূপে এৰাই
এই আসন্ন বিপদ ৰক্ষা পৰোঁ সৰে।

নীতি।—ৰক্ষা পৰোঁ যাতে
কৰোঁ মাথো যুক্তি তাৰ।

মন্ত্ৰী।—সন্ধিৰ প্ৰস্তাৱ বিনা
নেদেখোঁ উপায়।

সাধনী।—মোৰো সেয়ে মত।
কিন্তু মন্ত্ৰী, গুচে যদি সন্ধিৰ প্ৰস্তাৱ
অযথা দাবীৰ হেতু, কি হ'ব উপায়
আসন্ন বিপদ-বেলা?

মন্ত্ৰী।—সম্ভৱ সকলো।
অযথা দাবীৰ কথা নোহে অসম্ভৱ।
দীৰ্ঘ-দৃষ্টি ৰাণী তব, মণিছোঁ স্বৰূপ!
ৰজা-ৰাণী দুয়ো তেন্তে কৰাঁগই বাস
বাজ হই নগৰৰ, চন্দনগিৰিত,
আত্মৰক্ষা হেতু। থাকোঁ মই নগৰত।
চাপিলে বিপক্ষদল, সন্ধিৰ প্ৰস্তাৱ
কৰিম যি দেখোঁ ভাল।

সাধনী।—সাৰগৰ্ভ কথা।
যোৱাঁ মন্ত্ৰী, কৰাঁগই যথা আয়োজন,
যাত্ৰা কৰা হয় যাতে আজি-কালিতেই।
দেখিছোঁ চন্দনগিৰি, অতি ৰম্যস্থল;
মুনি-মন-মোহা দৃশ্য পৰিছে মনত
তাহানিতে দেখা সেই কুণ্ডিল-কুণ্ডৰ
পিতৃ-মাতৃ সেৱা হেতু যাওঁতে এবাৰ।
আহা, কিনো বিতোপন শোভে গিৰিবৰ,
আকাশী শিৰত হাঁয়, পিন্ধি মেঘমালা,
ময়লাত ঢউ মেলা চুলিটাৰ যাৰ!
মূলত কুণ্ডিল কুণ্ড অতি সুগভীৰ,
পবিত্ৰ জলেৰে পূৰ অতি নিৰমল।
উপচি প্ৰেমৰ বাগ কুণ্ড-গৰ্ত্তপৰা

পৱিত্ৰ কুণ্ডিল-পানী ধীৰে বই যায়,
চন্দনগিৰিৰ পদ ভক্তিৰে ধুৱাই।
পাহৰোঁ বিপদ আজি সুমৰি সি ঠাঁই,
—আপোন পাহৰি যাওঁ।

নীতি।—জানো ময়ো,
সেই ঠাই যোগ্য আশ্ৰমৰ।

মন্ত্ৰী।—আহোঁ তেন্তে,
কৰোঁগই যথা আয়োজন।

(মন্ত্ৰীৰ প্ৰস্থান)

সাধনী। -অহ,
পৰিছে মনত, আত্মাৰ ছয়াটি
দেখা সেই কুণ্ডৰ গৰ্ত্তত, কোনে জানো
হিয়া মেলি, মিলি হিয়া স'তে, নিলে, মোক
পমোৱাই পুণ্যপুৰলই, শান্তি য'ত
বিৰাজে সদায়! সেই পুণ্য আশ্ৰমত
বাস যদি হয় হাঁয় চিৰকাললই,
নাভাবোঁ ভাবনা আৰু পাপ-সংসাৰৰ,
সাহেৰে মাতিব পাৰোঁ আসন্ন বিপদ।

নীতি। -নকৰিবা খেদ,
ফলিছে দুৰ্ভাগ্য-ফল।
বলা যাওঁ, ইয়াতেই হ'ল বহুপৰ।

সাধনী।—নোহে খেদ।
খেদ মোৰ কি বুজিবা হাঁয়।

(প্ৰস্থান)

জিৰণি-পটক্ষেপণ

পঞ্চম অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

চন্দনগিৰি

সাধনী।—স্বৰ্গৰ জখলা
এই পুণ্য গিৰিবৰ,
নিৰ্ম্মিলে কি সুকৌশলে বিশ্ব-খনিকৰে
সৌন্দৰ্য্যৰ ৰূপৰাশি, কৰুণাৰ প্ৰভা,
প্ৰেমৰ পৱিত্ৰ ৰাগ, সম্ভোগৰ সুখ,
আৰু এক আবেগৰ পুণ্য আকৰ্ষণ,
সকলো সমানে সানি সৃজিলে মৰ্ত্ত্যত,
পঞ্চামৃত লাৰু যেন অৰণ্য-মন্দিৰ!
চন্দনগিৰিৰ নাম অগৰু চন্দনে
ৰাখিছে উজ্জ্বল কৰি এই পৃথিৱীত;
আৰু তাৰ অনুপম ৰূপ মনোহৰ
বখানিছে চিৰকাল দেৱতা-কিন্নৰে,
যোগী, ঋষি, মুনি আৰু তাপস কুমাৰ,
বিমোহিত নৰলোক ৰূপ-লীলা চাই!
ইয়াৰে সৌন্দৰ্য্য-সোঁত বই-বই গই,
ভৈয়ামত প্ৰতিভাত হয় মাজে মাজে।
যি ফালে ঘূৰাওঁ চকু, তাতে ৰই যায়,
নপলায় তৃপ্তি হাঁয়, হেঁপাহ হিয়াৰ,—
চাওঁমানে বাঢ়ি যায়, পাহৰোঁ সংসাৰ!
পৱিত্ৰ কুণ্ডৰ নীৰ, অতি নিৰমল,
প্ৰকৃতি-দাপোণ যেন পতা আছে কোনে!
বাহিৰৰ সৌন্দৰ্য্যৰ প্ৰতিবিম্বে তাত
হাঁহিছে নাচিছে হাঁয়, আপোনাকে চাই!
নাচে যেন হিয়া মোৰো তাৰ চেৱে চেৱে,
বসুধা-বুকুত প্ৰাণ ক্ষন্তেক জুৰাই।

* * *

ইয়াতে এদিন হাঁয় দময়ন্তী সতী
উঠিছিল আহি আহি বাট হেৰুৱাই
চিন্ তাৰ এতিয়াও মাৰ যোৱা নাই,—
শিল-বন, গছ-লতা আটাইটি মিলি
সাক্ষী দিয়ে বিশেষণে সবিশেষ কই!
কুণ্ডিলৰ গুৰি এয়ে, বিদৰ্ভা ঢৌৱাই
পৱিত্ৰ কৰিছে যি, সিও সাক্ষী দিয়ে,
মহাসতী দময়ন্তী কেনেকই আহি
উত্তৰিল কুণ্ডৰ তীৰ ভ্ৰমি বহু
গিৰি-গুহা, দেশ-বন, পতি হেৰুৱাই;—
ইয়েহে লগালে বাট পিতৃ-ৰাজ্যলই।

আৰু, হাঁয়, কৃষ্ণদেৱে ৰুক্মিণী দেৱীক
উদ্ধাৰি এদিন ইয়াতেই থিত লয়
যাওঁতে উলটি। ইয়াতে জিলিকে আজি
সমাধি মন্দিৰ সউ, ভীষ্মক ৰজাৰ,
মিলিলে পঞ্চত্ব যত মহা ৰাজর্ষিৰ।

(অহ!)

ভাগ্যে মোৰ পাওঁ যদি ইয়াতেই লয়,
কিযে সুখ অনুভৱ হ'ব সেই বেলা,
সাধি এই মৰতত স্বৰগ সাধনা!
মানিছোঁ এতিয়া ধ্রুব,—নাই ভ্রান্তিলেশ,—
চক্রৱত ঘূৰে সদা ভাগ্য-ফলাফল।

(হাঁয়!)

পৰিছে মনত এবে মাতৃ দেৱীলই,
ধৰ্ম্মৰ জীৱন্ত মূৰ্ত্তি পিতৃদেৱ আৰু;
দুয়োৰে অটল মতি একে বিশ্বাসত
"ঈশ্বৰে যি কৰে ভাল মানুহ কাৰণে।"
সেই বিশ্বাসৰ ফল প্রতিভাত হোৱা
এই জীৱনত মোৰ দেখিবৰ গুণে,
ললেহি নীৰলে ঠাই কুণ্ডৰ পাৰত,—
সমাধি শোভিছে সউ পুণ্য পোহৰত!

(আহা!)

প্রাণেশ্বৰ মোৰ! প্রাণৰ পুতলি গঢ়ি
সযতনে যাক ৰাখিছোঁ হিয়াত তুলি,
সেই প্রাণধন আছেমানে বৰ্ত্তমান,
কি আছে অভাৱ মোৰ এই পৃথিৱীত।
নাথ মোৰ পথশ্রান্ত আজি। ভাগৱত

(দেহি!)

হইছে কাতৰ জানো! নাধাৰে সমূলি,
নাজানে কি শোক-তাপ, সন্তাপ-ভাগৰ,
চিন্তাৰ বিকাৰ আৰু বেঁকা সংসাৰ,
পৰিছে মলিন দেহি, সৰল মুখানি
ৰাজ্য-বিপ্লৱৰ ঢউ সহি অকালত।
যাওঁ হাঁয়, পূজোগই যথা শুশ্রূষাৰে।

(প্রস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

চন্দনগিৰিৰ নামনি

(নীতিপাল অকলে)

নীতি।—বিচিত্র সংসাৰ!
চক্রৱত ঘূৰিছে সদায়!
কি আছিলোঁ, কি যে হলোঁ, কিবা হ'বলই
আছে আৰু আগলই! সৃষ্টি স্থিতি-লয়
ৰূপান্তৰ মাথোঁ, আদি-মাজ-সামৰণ
নৱ জীৱনৰ। ফলিছে সি হাতে-হাতে
এই জীৱনত। দেখি-শুনি লীলা-খেলা
এই সংসাৰৰ, পৰি আৰু সঙ্কটৰ
ঘোৰ বিপাকত, শিকিলোঁ-বুজিলোঁ বহু
সংসাৰৰ পাক-চক্র ভৱ-ভাৱনাত।
দেখিলোঁ যি ৰীতি নীতি, সংসাৰৰ গতি,
সাৰশিক্ষা তাৰপৰা লভিলোঁ ইয়াকে;—
মনোবৃত্তি মানৱৰ ৰব লাগে স্থিৰ,
যেতিয়া যি অৱস্থাত; নতুবা পতন
তাৰ ধ্রুব-সত্য কথা। আৰু যি বুজিলোঁ
দেখি-শুনি মানুহৰ চৰিত্র-আখ্যান,
তাৰপৰা হ'ল মোৰ এই স্থিৰ-জ্ঞান,—
আছে যদি কিবা, সাধ্যাতীত পৃথিৱীত,
এক সি,—মানুহ চিনা এই সংসাৰত।
সঙ্গদোষ জীৱনত আৰু এক শনি;
চৰিত্রৰ ছিদ্রে জুমি মানৱ অন্তৰ,
হৰে তাৰ সাৰবস্তু চোৰ-প্রকৃতিৰে;
জীৱন্তে মৰণ মাতি ঘটায় জঞ্জাল!
দেখি যেন পৰিণাম, এই জীৱনৰ
আগলই সংসাৰীৰ হয় তত্ত্বজ্ঞান।

(মৌন)

(সসৈন্যে কনচেং, মন্ত্রী আৰু নালীয়াৰ প্রৱেশ)

মন্ত্রী।—মহাৰাজ!
বিনাযুদ্ধে দিলোঁ এৰি বাট;
উপদেশ যেনে ৰূপে আছিল আমাত।

উপস্থিত সেনাপতি আহোম ৰজাৰ ;
সন্ধিৰ প্ৰস্তাৱ বোলে শুনাব আপুনি ।
নীতি ।—সত্য কথা ।
পালোঁ আমি পৰম সন্তোষ,
তাঙ্গৰীয়া নিজে আহি হ'ল উপস্থিত ।
সন্ধিৰ প্ৰস্তাৱ এবে শুনো যিবা হয় ।
কনচেং ।—মহাৰাজ !
লব মোৰ সন্মান-সৎকাৰ ।
লভিছোঁ পৰম প্ৰীতি সাক্ষাৎ লাভত ।
আজ্ঞাবহ ভৃত্য মই আহোম ৰজাৰ,
কনচেং নাম মোৰ, মন্ত্ৰী-সেনাপতি ।
আদেশিলে স্বৰ্গদেৱে,—ৰণ-বল লই,
আক্ৰমোঁ ছুটীয়া ৰাজ্য ৰাজ-নীতি মতে ।
উপদেশ আৰু মোত,—ৰণজয়ী হই
আহোম ৰাজ্যৰ চামিল কৰোঁ ই ৰাজ্য,
অথবা কৰদ ভাৱে এৰি আপোনাক,
নিব লাগে উপহাৰ 'কুবেৰ সম্পত্তি'
আৰু সাধনী ৰাণীক । হয় এয়ে দান,
নতু সন্ধিধান ।—যিবা হয় অনুমতি ।
নীতি ।—অযথা প্ৰস্তাৱ,—
অসাধ্য গ্ৰহণ কৰা ।
"কুবেৰ-দত্ত সম্পত্তি" নহয় ৰজাৰ,
ছুটীয়াৰ ভাগ্যলক্ষ্মী যেই পুণ্যধন ;
হস্তান্তৰ-অধিকাৰ পোৱা নাই আমি ।
আৰু, ইটো অদ্ভুত প্ৰস্তাৱ !—সাধ্য কাৰ
সাধনীক কৰে হাত বাঁচি আছোঁ মানে ?
কোন্ ৰাজনীতি মতে পাচিলে তোমাক
সুবিজ্ঞ আহোমৰাজে এনে প্ৰস্তাৱেৰে ?
শুনিছোঁ অসম তুমি, বাহুবল লই,
ধৰ্ম্মৰ বলত কিন্তু দেখিছোঁ দুৰ্ব্বল !
মন্ত্ৰী ।—ভাবি চোৱাঁ
পুনৰপি, সলোৱাঁ প্ৰস্তাৱ ।
কনচেং ।—পন্থা নাই
ভাবিবৰ ;—সিদ্ধান্ত প্ৰস্তাৱ ।
আছে দান, নাই সন্ধিধান ; এয়ে মোৰ
স্থিৰ সমিচাৰ । কৰাঁ যুক্তি যিবা হয় ।
নালীয়া ।—ৰক্ষা পৰক মহাৰাজ ! দি দিয়ক যি লাগে ।
আপোনাৰ দেহাটো হে লাগে ; তেনে ধন-বস্তু-
তিৰী কিমান যাব, কিমান আহিব !
নীতি ।—কটোৱাল,
বন্দী কৰ এই পাষণ্ডক ।
কৰিলে যতেকমানে এই দুৰাচাৰে
নতুন বিষয়া সতে স্বাৰ্থসিদ্ধি হেতু ।
বৰশীত দিব লাগে, এই মহাপাপী,
আৰু দুই ৰাজদ্ৰোহী নতুন বিষয়া ।
(কটোৱালে নালীয়াক বন্দী কৰে)
নালীয়া ।—ৰক্ষা কৰক মহাৰাজ ! মই নহয়, সি দুজন
হে মহাৰাজ । মই মহাৰাজৰ উপকাৰহে কৰোঁ ।
মই হে তেও মহাৰাজক ৰজা পতাৰ গুৰি !
মই উপকাৰী, মহাৰাজ, মোক অপকাৰ কৰিব
নেপায় । (কটোৱালে ডিঙ্গিত ধৰি বান্ধ কৰে)
ঔ, নিলে ঔ ! মৰিলোঁ ঔ ! হে কোনে পাৰ
ৰাখ ঔ !—ঔ, বৰশীত দিবগৈ বোলে ঔ !!
মন্ত্ৰী ।—নলবে প্ৰস্তাৱ ?
কনচেং ।—লবে যদি হিমাচল,
নলবে প্ৰস্তাৱ মোৰ, জানিবাঁ ধ্ৰুৱপ্ ।
নীতি ।—তদ্ৰূপ প্ৰতিজ্ঞা মোৰ ;—
যদি কুণ্ডিল উভতি বয়,
সাধনীক সমৰ্পণ সম্ভৱ নহয় ।
আৰু সেই কুবেৰৰ প্ৰদত্ত সম্পত্তি,
নসপিম আছোঁমানে, আহোম ৰজাক ।
—শেষ সন্ধিধান ।
কনচেং ।—অত অভিমান !
নসহোঁ ক্ষন্তেক আৰু !
জনা নাই কাৰ সতে পাতাঁ তৰ্কজাল ?
সিংহৰ আগত যেনে বাঘ-গোজৰণি !
নসহোঁ ক্ষন্তেক আৰু নকৰোঁ পলম,
এতিক্ষণে যমপুৰি পঠিয়াই সবে,

—ৰজা, মন্ত্ৰী, পাৰিষদ, সেনা, সেনাপতি—
হস্তগত কৰি শেষে সাধনী-'সম্পত্তি',
সামৰিম আক্ৰমণ ছুটায়া ৰাজ্যৰ।
আঁহা চাপি, কৰা আহি প্ৰাণ সমৰ্পণ।

নীতি।—প্ৰতিজ্ঞা পালন,
কিম্বা ৰণত শয়ন।
আঁহা চাপি, চাওঁ জুখি কিমানৰ বীৰ;—
বাঘৰ আগত কৰে ছাগে ভেৰা-ভেৰি!

(যুদ্ধ;—নীতিপালৰ পতন)

নীতি।—(মূৰ্চ্ছিত অৱস্থাত) অহ-অঃ!
প্ৰাণবায়ু—কণ্ঠাগত হাঁয়!
অহ, প্ৰাণেশ্বৰী, সতীৰ জীৱন্ত ছবি,
এৰিলোঁ অকলে আজি ভৱ-সংসাৰত।
যাওঁ মই, আঁহা তুমি, নিত্য বস্তু থই,
অনিত্য সংসাৰ হেতু, সতীৰ চানেকী।
আৰু মোৰ প্ৰজাপুত্ৰ, পাত্ৰ-মন্ত্ৰী সৱ,
সবাৰে জানিবা মোৰ শেষ-সম্ভাষণ।
অহ-অ-হ, বিদা-আ-য়।—

(মৃত্যু;—শৱ স্থানান্তৰিত)

কনচেং।—আঁহা চাপি
একে লগে, বাকী আছা কোন?

মন্ত্ৰী।—ধৰোঁ চাপি,
বধোঁ আজি বীৰ কনচেং।

(যুদ্ধ;—মন্ত্ৰীৰ পতন আৰু শৱ স্থানান্তৰিত)

কনচেং।—অস্ত হ'ল শত্ৰুবল।
নহল পূৰণ কিন্তু ৰণতৃষ্ণা মোৰ;
নকৰিলে যুদ্ধ-আয়োজন! যিবা হোক,
কাৰ্য্য-সিদ্ধি হ'ল যথাৰতে। যাওঁ এবে,
আনোগই সাধনীক ধৰি, আৰু সেই
"কুবেৰ-সম্পত্তি"।

(বেগেৰে প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

চন্দনগিৰিৰ টিং

সাধনী।—(অকলে)

গীত

ললিত যোগিয়া—একতালা

(হাঁয়) ফুল সুফুলিলে, গুটি নধৰিলে
কলিতে লেৰেলি যায় অই!
(হাঁয়) ঢোপা কলিটিয়ে, ফুলোঁ ফুলোঁ ভাৱে,
আশাতে বিনাশ পায় অই!!
এই সংসাৰৰ কেও ফুলৰ মোলকে নাপায়,
এই সংসাৰত ফুল দিনে আমুৰায়;
আকাশে হে মাথোঁ ফুল-মোল বুজি,
পিন্ধি নিতে শোভা পায় অই!
আতি খেদ লাগি হইছোঁ বৈৰাগী,
আছোঁ প্ৰাণ ধৰি সংসাৰ নিলগি;
(এই) ভুধাৰি চকু-লো, মছিলে নৰয়
হৃদি-কুণ্ড জৰি বয় অই!
(এই) সংসাৰৰপৰা উদ্ধাৰি আত্মা,
মুক্তি কোনে আজি দিয়ে অই!!

(মৌন)

অন্ত হ'ল, সংসাৰৰ যত লীলা-খেলা!
অন্ত হ'ল ধন-জন, ৰাজ্য-সিংহাসন,
আৰু যত মায়া-মোহ ভৱ-ভাওনাৰ!
অন্ত হ'ল পিতৃ-মাতৃ, প্ৰাণ-পতিধন,
আত্মীয়-কুটুম্ব আৰু যত প্ৰিয়জন;
বৃদ্ধ মন্ত্ৰী, সেনাপতি, গ'ল ৰাজাবল;
আছোঁ মই দেহা ধৰি, আছে এই
'কুবেৰ প্ৰদত্ত ধন'। হব লয় ইও,
পাব লয় ইয়াতেই ক্ষন্তেক পলমে।

(মৌন)

সন্ধিৰ প্ৰস্তাৱ!
—কি যে সাংঘাতিক কথা!

যুক্তিৰ সঞ্চাৰ নাই ; নাই ধৰ্ম্মজ্ঞান ;
প্ৰলাপ সমূলি মাথোঁ বাতুলৰ মুখে!
শুনি হ'ল ৰোমাঞ্চিত সৰ্ব্ব কলেৱৰ।
কোন সতে কোন সাহে কৰেহি প্ৰস্তাৱ,
বোধশক্তি বাজ কৰি, নিলাজৰ মুখে,
সতী সমৰ্পণ কথা? কিন্তু, সাধ্য কাৰ
স্পৰ্শ কৰে ছাঁয়া এই সাধ্বী-শৰীৰৰ
থাকেমানে দেহে প্ৰাণ?

(মৌন)

নিদিওঁ কাচিতো
এৰি 'কুবেৰ-সম্পত্তি', নিদিওঁ বুলিলে
যাক স্বৰ্গী প্ৰাণেশ্বৰে। ৰাখিছোঁ যতনে
তাক, সতীত্ব-ৰতন স'তে, ৰাখিম প্ৰাণান্তে!
আহে যদি দুৰাচাৰে পশু-প্ৰকৃতিৰে
বলেৰে নিবৰ হেতু, সতীত্ব বলেৰে
তাক ৰাখিম উদ্ধাৰি, কৰি প্ৰাণপণ।

(মৌন)

চাপে অস্ত্ৰ!
চাপিছে সি পুণ্য শোভা ধৰি। আঁতৰিছে
দেহ-মন লাহে—লাহে, সংসাৰৰ
মায়া-মোহ আশা-শান্তি ক্ৰমাৎ এৰাই।
কৰিছে সি গতি এবে অনন্তৰ দিশে
ধীৰে ধীৰে ধীৰে। ধন্য প্ৰভু, ৰুদ্ৰ তুমি,
অপাৰ কৰুণা তৱ; হৰিলা আগেয়ে
মায়াৰ কাৰণ যত ভৱ-সংসাৰৰ,
মুকুতিৰ গতি মোৰ পোনাবৰ গুণে।
দিয়ঁা মাতৃ জন্মভূমি, দিয়ঁাহে বিদায়,
মৰবি সমস্ত দায় আপোন কন্যাৰ।
আৰু মাতোঁ পৃথিৱীক,—জননী-জননী,—
ৰাখিবা মিনতি মোৰ অন্তিম কালত,
ক্ষেমিবা সকলো দায় ইহ জনমৰ।
একেবাৰ সম্ভাষণ কৰিবা গ্ৰহণ
নৰ-নাৰী মৰতৰ; ক্ষেমিবা সবাৰে,
নাজানি কৰিছোঁ যদি কিবা অপৰাধ।
শক্ৰ বুলি পৰিচয় দিছিলা যি সৰে,
চেনেহী মাতেৰে এবে দিয়ঁাহে বিদায়,
লই মোৰ স্নেহ-সম্ভাষণ।—যাওঁ এবে,
থাকঁা সৰে, বিদায়! বিদায়!!

(মৌন)

(সসৈন্যে কনচেঙৰ প্ৰৱেশ)

কনচেং।—মহাৰাণী,
লোৱাঁ মোৰ সন্মান অশেষ।
সাধনী।—কোন তুমি?
কিয় মোৰ চাপিছাহি কাষ?
কনচেং।—আহোম ৰজাৰ
মই মন্ত্ৰী-সেনাপতি।
সাধনী।—কিহেতু ইঠাই?
কনচেং।—ৰণত বিজয়ী হেতু।
সাধনী।—জানো সেই কথা।
কিহেতু আহিছা হেথা?
কনচেং।—সমৰ্পিব লাগে সেই
"কুবেৰ-সম্পত্তি"; আৰু আত্ম-সমৰ্পণ
হব লাগে এবে।
সাধনী। নহ'ব সি বাঞ্ছা সিদ্ধি।
কনচেং।—নহ'ব নহলে।
সাধনী।—কিবা কোৰাঁ!
পশুবল খটাবাঁ নহলে?
কনচেং।—ক্ষমা কৰাঁ,
আজ্ঞাবহ ভৃত্য মাথোঁ আমি!
ৰাজ-আজ্ঞা পালোঁ সদা প্ৰাণপণ কৰি।
সাধনী।—কাৰ আজ্ঞা এনে?
কোন্ অধৰমী সিটো?
কোনে আহে কবলই নীচ বচনেৰে
'কুবেৰ-সম্পত্তি' কথা? কোন্ জ্ঞানহীনে
কৰে এনে অসম্ভৱ সন্ধিৰ প্ৰস্তাৱ,—
সতী-সমৰ্পণ 'হেতু'—পতি-বিয়োগত?
ধিক্ তাৰ জীৱনত, ধিক্ শতবাৰ!
সতীত্বৰ মূল্য সি জানে কি পাষণ্ডে,

বিশ্বৰাজ্য বিনিময় হেয় যাব স'তে!
সামান্য ৰাজ্যৰ ৰজা হই পৃথিৱীত
স্বৰ্গৰ আসন সি বিচাৰে মৰ্ত্ত্যত?
নাজানে সি জীৱনত সতীৰ মাহাত্ম্য,
হোৱা নাই ৰাজ্য তাৰ সতী-প্ৰসৱিনী;
নতুবা নৃপতি মুখে ইহেন প্ৰলাপ
অসম্ভৱ,—অসম্ভৱ জানিবা নিশ্চয়।
আৰু শুনা,—
'কুবেৰ-সম্পত্তি' কথা; এৰাঁ তাৰ আশা।
হোৱা নাই প্ৰতিশ্ৰুত প্ৰাণেশ্বৰ মোৰ
সেই ধন সমৰ্পণ হেতু; যিবা সমিধান
পালাঁ তুমি আছেনে মনত? চোৱাঁ ভাবি,
কিহেতু এৰিলে প্ৰাণ প্ৰাণেশ্বৰে মোৰ,
কি ভাৱে উৰালে নাথে প্ৰস্তাৱ তোমাৰ,
পুৰুষৰ বীৰ্য্য দেখুৱাই।

কনচেং।—ক্ষমা কৰাঁ সতি!
যুক্তিৰ অধীন আমি, আদেশৰ দাস।
নকৰাঁ যদিহে আহি আত্ম-সমৰ্পণ
মন মোৰ ভদ্ৰ নিবেদন, বাহুবল
অগত্যা প্ৰয়োগ জানাঁ।

(ধৰিবলৈ লাহে লাহে আগ বাঢ়ে)

সাধনী।—ক্ষান্ত হোৱাঁ।
অন্ধ তুমি, নাহিবাঁ উধাই;
সাধ্য নাই পাবলই স্পৰ্শ এই তনু।
দেখা নাই জনমত সতীৰ মহিমা;
সিহেতু সাহিছা এনে উন্মাদৰ প্ৰায়।
হ'ব জন্ম মহাসতী ৰাজ্যত তোমাৰ,
আশীৰ্ব্বাদ লোৱাঁ এই, মূল্য শত্ৰুতাৰ।
আৰু মোত্ কথা নাই।. লোৱাঁ চাই-বুজি
মায়া-লগা ৰাজধন; ললোঁ মাথোঁ মই
ছুটীয়াব ৰাজলক্ষ্মী, 'কুবেৰ-সম্পত্তি'।
মুগ্ধ নৰ, চাই লোৱাঁ, চাই লোৱাঁ আজি,
কিৰূপে সতীয়ে কৰে বৈকুণ্ঠপ্ৰয়াণ।

(কুবেৰদত্ত সম্পত্তি লৈ হাঁহি হাঁহি
সাধনীয়ে কুণ্ডত জাঁপ দিয়ে!)

য ব নি কা

জয়মতী

পাতনি

আহোম ৰাজবংশৰ তুংখুঙীয়া ফৈদৰ মহাবীৰ গদাপাণি কোঁৱৰৰ বীৰাঙ্গনা ভাৰ্য্যা 'জয়মতী কুঁৱৰী'ৰ চৰিত্ৰ-চিত্ৰ লৌকিক চিত্ৰ চৰিত্ৰৰপৰা ভালেমান খাপৰ ওপৰত,- ই অলৌকিক চিত্ৰৰ সমকক্ষ। গতিকে, সেই অনুপমা মহাসতীৰ চৰিত্ৰ অলৌকিক তুলিৰে সৈতে আঁচি, বুৰঞ্জীৰ ভেঁটিৰপৰা লৰচৰ নকৰাকৈ, তাৰপৰা নাটকৰ দৃশ্যাদি আঁকিবলৈ চল লাগি ৰৈছে। সেই সুচলতে, এই লেখকে তেওঁৰ ছাত্ৰকালৰ সংকল্পিত 'জয়মতী' নাট এখনি ৰচিবলৈ সাহ কৰি ওলাইছে, দুঃসাহসৰ কাৰ্য্যফল যে নিঘূণী নহ'ব, তাক কোৱাৰ সকাম নাই। কিন্তু গুণগ্ৰাহী ৰাইজে ভাল চকুৰে চালে, কালত এই বেয়াই ভাল হৈ উঠিবগৈও পাৰে; সেই আশ্বাস আপোনা-আপুনি পাঙ্গি লৈ, এই অৰ্পইতা ৰচয়িতাই বুৰঞ্জীমূলক নাটক ৰচনাৰ নিচিনা নিপুণ লেখকৰ সুকঠিন কামলৈ আগবাঢ়িছে। এতেকে, ইয়াৰ ভয়াবহ ফলাফল কি হয়গৈ কব পৰা নাই এথোন। ইতি—

তেজপুৰ,
১৬ চ'ত, ১৮২২ শক

বিনীত
শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

দ্বিতীয়বাৰৰ পাতনি

'জয়মতী' পোহৰলৈ ওলায়েই ৰাইজৰপৰা আশাতীত আদৰ পাই গ্ৰাহকৰ হাততে পমি যোৱাদি গ'ল; আমাৰ হাত এতিয়া উদং। গতিকে, গুণগ্ৰাহী ৰাইজৰ গুণ লৈ, ইয়াৰ নতুন তাঙ্গৰণ উলিয়াবলৈ লৰালৰিকৈ আগবঢ়া হৈছে। ইতি—

তেজপুৰ,
১৬ চ'ত, ১৮২৪ শক

ৰচয়িতা

তৃতীয়বাৰৰ পাতনি

'জয়মতী' আকৌ গ্ৰাহকে হাত পাতি থকাতে নাইকিয়া হ'ল। ইয়াৰ আদৰ আৰু প্ৰচলন ইমান বহল হ'বগৈ বুলি আগধৰি ভাবিবলৈ নহ'ল। গতিকে, অলপ কালৰ ভিতৰতে আকৌ ইয়াৰ নতুন তাঙ্গৰণ উলিয়াব লগীয়া হ'ল। কিন্তু স্ব-প্ৰণীত ভালেমান পঢ়াশলীয়া পুথিৰ ন-ন তাঙ্গৰণ বছৰি উলিওৱা কাৰ্য্যৰ ভিতৰত, আৰু কেইবা-খনো বিবিধ বিষয়ক ন-ন পুথি লিখি প্ৰচাৰ কৰিব লগীয়া হোৱাত, যোৱা ভালেমান বছৰ গ্ৰাহকক 'জয়মতী' যোগাব পৰা নাই। এতিয়াও, এই লেখকৰ স্কুলীয়া কিতাপত বাজে, অন্যান্য কিতাপ-পুথি কিছুমান একলগকৈ ছপাই এখনি গ্ৰন্থাৱলী উলিওৱাৰ দিহাকৰণৰ যোগতহে ই আকৌ পোহৰলৈ ওলাবলৈ এটা সু-ছেগ পাইছে। এই ছেগতে, নাটকখনিৰ সৰ্ব্বাঙ্গতে এবাৰ হাতফুৰাই দি, ইয়াক বুৰঞ্জীৰ ভেঁটিত মটুমটীয়াকৈ থিয় কৰাবলৈ আৰু নাটমন্দিৰৰ বিশেষ উপযোগী কৰিবলৈ প্ৰয়াস পোৱা গৈছে। ইতি—

তেজপুৰ,
১৬ চ'ত, ১৮৫২ শক

ৰচয়িতা

উছর্গা

স্বৰ্গাদপি গৰীয়সী

পৰম পূজনীয়া জননী

৺লক্ষ্মী দেৱী

আইতাৰ

দুখানি চৰণত

অভাজন পুত্ৰৰ

ভক্তিপুষ্পাঞ্জলি

ৰচয়িতা

ভাওবিলাক

মতা

লাঙ্গি-গদাপাণি	তুংখুঙ্গীয়া ফৈদৰ ৰাজকোঁৱৰ।
চুলিকফা ওৰফে ল'ৰা-ৰজা	অসম দেশৰ ৰজা।
আতন—ওৰফে দীঘলা	বুঢ়াগোহাঞি ডাঙ্গৰীয়া মন্ত্ৰী।
লাইথেপেনা	বৰগোহাঞি ডাঙ্গৰীয়া মন্ত্ৰী।
লাচামকলা	বৰপাত্ৰগোহাঞি ডাঙ্গৰীয়া মন্ত্ৰী।
লেচাই—ওৰফে ডেবেৰা (২)	বৰবৰুৱা ঘাই বিচাৰক।
ধৰ্ম্মনাথ	ন্যায়সোধাগোহাঞি ফুকন।
মুকুন্দ	সলাল বৰগোহাঞি।
চন্দ্ৰমল	জাগিয়াল গোহাঞি।
ৰমানন্দ	ৰহিয়াল বৰুৱা।
লাই, আকু, লেচাই	জয়মতী-গদাপাণিৰ পুত্ৰত্ৰয়।

বেজবৰুৱা, চাওদাংবৰুৱা, চাওদাং, দূত, দুৱৰী, কটোৱাল, গুৱাল, গৰখীয়া, জালোৱা, হালোৱা, হাটবৰুৱা, বাটবৰুৱা, পাণবেপাৰী ইত্যাদি।

মাইকী

জয়মতী	গদাপাণিৰ ভাৰ্য্যা।
পদ্মাৱতী	জয়মতীৰ সখী।
আই-কুঁৱৰী	ল'ৰা-ৰজাৰ জননী।
আহিনী	জয়মতীৰ বান্দী।
বগী	বৰ-পোহাৰী।
চিন্থু	নগাপৰ্ব্বতৰ নাগিনী।
জিন্থু	চিন্থুৰ জীয়েক।

গঞানী, লিগিৰী, নাচনী ইত্যাদি।

জয়মতী

আৰম্ভণ

(দুফালৰপৰা দুগৰাকী গায়িকাৰ প্ৰৱেশ)

গীত

(বিহঙ্গৰা—জলদ একতালা ।)

ভুলি গতি আমি হেৰা আহিছোঁ অই ।
স্বৰগ-দুৱৰী, আমি দুই কিন্নৰী,
শুনি বাঁহী, নামোঁ হাঁহি,
দুই প্ৰেমময়ী অপেচৰী ।
উদ্যান উজলি, ফুলি-আছে ফুলকলি,
আদৰেৰে তুলিমগই আমি ।
সেউতী, মালতী, ফুলমাহী, যাতি-যূতী,
হালি জালি হাঁহিছে পদুমী ।
যাওঁ আমি, ঘূৰি হাঁহি,
হাঁহি হাঁহি নিলগ হই ॥

(দুইৰো দুফালে প্ৰস্থান)

১। অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

মন্ত্ৰণা-চ'ৰা

(ৰজা আৰু বুঢ়াগোঁহাঞি ডাঙৰীয়া)

ডাঙৰীয়া ।—স্বৰ্গদেৱ ।
নোৱাৰিলোঁ নিৰাপদ কৰিব আমাক,—
আজিও জীৱিত এক আপদ প্ৰধান ।
—নিশঙ্ক নহ'ল সিংহাসন ।

ৰজা ।—কিবা কোৱা ।
আছে আৰু, ডাঙৰীয়া, কালশত্ৰু মোৰ ?—
তুমি মোৰ পৰম বান্ধৱ, কৰা ভাবি,
যিবা ভাল বন্ধুজন মঙ্গল কাৰণ,
—বিঘিনি নাশক তুমি মোৰ ।

বুঃ গোঃ । -কৰা নাই ত্ৰুটী লেশ, নকৰোঁ কাচিত ।
কতনা কোঁৱৰ বধ হল আশঙ্কাত,
অঙ্গক্ষত কত জনা কৰালোঁ গুপুতে,
তৱ মঙ্গল কাৰণ ।

ৰজা ।—জানোঁ সমুদায় ।
জানি তৱ হিতচিন্তা হিত অৰ্থে মোৰ,
কৃতজ্ঞ অন্তৰে নিতে লওঁ তৱ গুণ ।
কিন্তু মন্ত্ৰী ! কিহেতু চিন্তিত ?—চিন্তাযুত
দেখিলে তোমাক, চিন্তা-ভয় বাঢ়ে মোৰ ।
জানা তো পূৰ্ব্বৰ কথা,—জানি ভাগ্য হাঁয়,
পূৰ্ব্বৰজাসকলৰ,— অকাল বিনাশ,—
নেসাহিল প্ৰাণে মোৰ ৰাজ্য লাভলই,
নাছিল সমূলি সিংহাসন বাঞ্ছা মোৰ ।
অবাবত প্ৰাণ দিয়া অতি অসহন,-
সহোঁ তেও, হয় যদি দেশৰ কল্যাণ ।
তোমাৰ কথাত মাথোঁ পতিয়ন গই,
উঠিলোঁহি কাৰেঙত,—কুক্ষণত হাঁয়,
পভিছিলোঁ আপদীয়া ৰাজপাট এই ।—
পিচে, ঘূৰি চিন্তা কিয় ? কিবা অমঙ্গল
দেখিছা আগত তুমি ? আপদ প্ৰধান
বোলা কাক ? কোন সিটো প্ৰাণবৈৰী মোৰ ?

বুঃ গোঃ ।—নহয় সামান্য নৰ । নোৱাৰে চাপিব
সাধাৰণে কাষ তাৰ ।

ৰজা ।- কিয় মন্ত্ৰীবৰ ?

বুঃ গোঃ । মহা বাহুবলী তেওঁ, লাঙ্গি-গদাপাণি ।
গোবৰ ৰজাৰ সুত, দৈদ তুঙ্গখুঙ্গ ।
অঙ্গক্ষত কৰা তাৰ নহয় সম্ভৱ
গুপুতচৰ হতুৱাই ।

ৰজা ।—কি হ'ব উপায় ।

বুঃ গোঃ ।—উপায় চিন্তিব লাগে ।

স্বৰ্গদেৱ, নহবা অধীৰ ; আছোঁমানে
সহায় তোমাৰ,—ৰাখিম প্ৰতিজ্ঞা মোৰ।
চাওঁ বাৰু, কি পাৰোঁ কৰিব যুক্তি-বুদ্ধি।
—নহবা বিমোৰ অতি।

ৰজা।—বাৰু, ডাঙ্গৰীয়া!
প্ৰাণৰক্ষা মোৰ মাথোঁ, ৰাখিবা মনত।

বুঃ গোঃ।—অৱশ্যে ৰাখিম। তাৰেহে ব্যৱস্থা হেতু
যাওঁ এবে, কৰোঁগই সম্ভৱ যি হয়।

(ডাঙ্গৰীয়াৰ প্ৰস্থান)

ৰজা।—(আপোনাআপুনি) গদাপাণি!
ভীষণ ই নাম! শুনি মোৰ কঁপে হিয়া।
কান্দিছে অন্তৰে হায়, কি জানো কি জানি!
পৰিছে মনত আজি তাহানিতে দেখা,
বীৰবাহু গদাপাণি ধেমালি-যুঁজত ;—
প্ৰকাণ্ড পুৰুষ আৰু ভীম গদাধাৰী,
অকলে শকত সিটো শত জনলৈ!
অঙ্গৰুতে নিৰাপদ নকৰিব মোক ;
নবধিলে গদাপাণি নুগুচে অপায়।
আৰু এক ঈৰ্ষানলে দহিছে অন্তৰ ;—
জয়মতী পত্নীলাভ তাৰ! হিয়া উদঙ্গাই
সঁপিছিলোঁ যাক ভালপোৱা। যাৰ হস্তে
আজি সৰ্ব্বস্ব সঁপিব পাৰোঁ ; পাৰোঁ দিব
অকাতৰে সিংহাসন এৰি! কিন্তু হায়,
নুপূৰিল প্ৰেম-আশা, নাই প্ৰতিদান!
ঘিণ কৰি নিলগালে মোক! নিলগালে
যাচি দিয়া প্ৰেম মোৰ! অযাচিতে পালে
কিন্তু, সেই ভালপোৱা, গদাপাণি বীৰে।
সেই গদাপাণি!—প্ৰেমত বিঘিনি মোৰ!—
যাৰ নামে ঈৰ্ষানল জ্বলি উঠে ঘনে!—
লম তাৰ প্ৰতিশোধ ; লম এইবাৰ ;
লই তাৰ প্ৰাণ আজি, বিৰহ-অনল
জ্বলাম, প্ৰতিজ্ঞা মোৰ, জয়াৰ বুকত!

(প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

জয়মতীৰ শোৱাকোঠা

(জয়মতী আৰু গদাপাণি)

জয়া।—প্ৰাণেশ্বৰ!
পৰিছে মনত আজি, তাহানিৰ কথা ;—
তাহানি নিলগে দেখা, নিলগতে ইঁহা
পূৰ্ব্বৰাগে ওপচাই হিয়া।

গদা।—সঁচা প্ৰাণেশ্বৰী!
পৰিছে মনত মোৰো পোনে দেখা পোৱা
তোমাৰ লাৱণ্য প্ৰভা।

জয়া।—নোৱাৰোঁ ফুটাব
সিদিনাৰ ভাব আজি। কিনো ভাৱে হায়,
নাচিছিল হিয়া মোৰ, কিবা উলাহত!—
উগুল-থুগুল প্ৰাণ কিবা ৰহস্যত!
নুবুজোঁ এতিয়া নিজে কিবা মোহনীত
পৰিলোঁ প্ৰেমত তৱ।

গদা।—ধ্ৰুৱ অনুভৱ তৱ।—
কৰিছিল মোকো তেনে ; দুৰ্ব্বলৰ দৰে,
ভাবত কঁপিলোঁ মই তোমাকে ডৰাই!
দেহাভাৰ সহিবৰ নাছিল শকতি।
নাৰী হই নচুৱালাঁ ঠেকত পেলাই ;—
ৰণচণ্ডী তুমি!

জয়া।—আৰু নাথ! সিদিনাৰেপৰা চাওঁ মই,
ধেমালি যুঁজত,—থাকোঁ চাই নেদেখাত ;—
হিয়া মোৰ ওপচে আনন্দে, দেখি নিতে
বিক্ৰম তোমাৰ।

গদা।—দেখা দিয়া হলে তুমি,
নেদেখা বিক্ৰম মোৰ ; দেখিলাহেঁতেন
দুৰ্ব্বল কঁপনি মাথোঁ, জয়ঘামে ঘমা।

জয়া।—বিয়াত যিদিনা নাথ, দিলে লগ্নগাঁথি
—নহয় বেকত এবে সিক্ষণৰ ভাব!

গদা।—তেতিয়া আবেগ যেন বিৰিঙ্গি উঠিল,
কপালত বিন্দু বিন্দু প্ৰেমৰস সাৰ।

দেখা যেন লাগে মোৰ,—তোমাৰো তেতিয়া,
আবেগৰ চকু-লো আহোঁতে নিজৰি,
ওৰণিৰ আগটিত লাগি।

জয়া।—প্ৰাণেশ্বৰ!
সিদিনা যে পাতিছিলা ৰোহ?

গদা।—প্ৰাণেশ্বৰী! ৰোহ নোহে,—
আবেগেৰে হিয়া মোৰ উপচি আছিল,
ভেটা লাগি প্ৰণয়-সোঁতত।

(লাই আৰু লেচাই লৰি আহি দেউতাক আৰু আইতাকৰ কোলাত উঠেহি)

লেচাই।—আইতা! আইতা!
খোৰা-ৰজা কথা তুমি নকলা দেখোন?—
পাহৰিলা কম বোলা?

জয়া।—শুনাম সোণাই, আজি ভীমৰ কাহিনী।

লাই।—দেউতা! দেউতা।
থাকিল নহয় বাকী, হনুমন্ত কথা?--
নপৰিল আধা তাৰ।

গদা।—আছেনে মনত বাৰু, শুনিলা যিথিনি?

জয়া।—হবাঁনে তুমিও পোনা, হনুমন্ত বীৰ?

লাই।—দেউতা-সমান হলে জিনিম ৰজাক।

গদা।— ৰাজদ্ৰোহ মহাপাপ, নকবা সিকথা।

জয়া।—আপোন জীৱন-লক্ষ্য সুমৰিলে নাথ,
'ৰাজদ্ৰোহ মহাপাপ' নোবোলা জানোচা?

গদা।—ৰাজ্যহিত ৰাজদ্ৰোহ কদাপি নহয়।
পতন-উন্মুখী এই আহোম ৰাজ্যৰ
উদ্ধাৰ সাধন, জীৱন ব্ৰতৰ মোৰ
একমাত্ৰ ধ্ৰুৱতৰা, মন্ত্ৰী-ক্ষমতাই
ৰাহুৰূপে কৰে গ্ৰাস ৰাজশক্তি হায়;
পুনৰ্ম্মুক্ত কৰা মোৰ পালিত বাসনা। (নীৰৱ)
প্ৰিয়া, বাৰু আহোঁচো এতিয়া। (উদ্যত)

জয়া।—প্ৰাণনাথ!
বেলি ভাটী দিলে আহি, ঘূৰিবা ত্বৰিতে।

(গদাপাণিৰ প্ৰস্থান)

লেচাই।—আইতা!
কওঁ-বোলা কোৱাঁ তেন্তে এতিয়া।

জয়া।—(লাই-লেচাই দুইকো দুহাতে ধৰি উঠি)
বীৰৰ সন্তানে মোৰ বীৰৰ কাহিনী
অৱশ্যে শুনিব লাগে। আহাঁ পোনাহঁত,
ফুলনিত কওঁগই ফুৰি ফুৰি ফুৰি।

(প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

ৰজাৰ ৰবচ'ৰা

(ৰজা, মন্ত্ৰীসকল আৰু সভাসদবৰ্গ)

ন্যায়সোধা ফুকন।—কি বুলি বিহিবা দণ্ড, নিৰ্দ্দোষী জনক?
গদাপাণি অপৰাধী নেদেখোঁ একোতে।

বুঃ গোঃ।—ৰাজাজ্ঞা পালন হেতু, দোষৰ বিচাৰ
নালাগে হে হেৰা!

ফুকন।—কিবা কোৱাঁ ডাঙৰীয়া!
শাসন বিধান এৰি, ৰাজাজ্ঞা কি বোলা?

বৰবৰুৱা।—ৰজাৰ মঙ্গল হেতু, নহয় অবিধি;
নাভাবোঁ অকৰ্ম্ম একো।

বৰপাত্ৰগোহাঞি।—মোৰো সেয়ে মত।
ৰজাৰ মঙ্গলে জানা, ৰাজ্যৰ মঙ্গল।

বুঃ গোঃ।—নামাতিবা হেৰা আৰু, তোমাকে মাতিছোঁ।
সুতুলিবা আপত্তি বিশেষ। ভাবি-চিন্তি
দিছোঁ মত, গদাপাণি অঙ্গক্ষত হেতু।

ফুকন।—নধৰিবা মোক।
নোৱাৰিছোঁ দিব মত। নিৰ্দ্দোষী জনৰ
অবাবত অঙ্গক্ষত নহয় যুগুত,—
তাতে গদাপাণি হেন পুৰুষ প্ৰধান,
লভিছে জনম যি ঘোৰ সমস্যাত
ৰাজ্যৰ মঙ্গল হেতু।

ৰজা।—অবাবত?
কিয় কোৱাঁ অযুগুত কথা?
যি কাৰ্য্যে মঙ্গল মোৰ, ৰাজ্যত চৌপাশে
শান্তিৰ স্থাপনা হয় বাহিৰে ভিতৰে,

কি বুলি অবিধি বোলাঁ, ৰাজনীতি মতে,
তেনে শুভ কাৰ্য্য তুমি ?

ফুকন।—সুবুজিলোঁ মই,
নকৰিলে অঙ্গক্ষত গদাপাণি বীৰ।
কিবা অমঙ্গল আছে ভিতৰি ৰজাৰ,
কিয় বা অশান্তি বাঢে ৰাজ্যত বাহিৰে।

ৰজা।—নকৰাঁ বিস্তৰ।
অঙ্গক্ষত উক্ত কথা, বধৰ উপায়
আলচাঁ সভাত আজি। মহাশত্রু মোৰ
ই ৰাজ্যত গদাপাণি। নবধিলে তাক,
নুগুচে অশান্তি মোৰ।

বুঃ গোঃ।—ভাবি চোৱাঁ পুনৰপি,
স্বৰূপ কইছে স্বৰ্গদেৱে। গমি চোৱাঁ
অতীতৰ শোক-লগা কথা! অকালত
হেৰুৱালোঁ, কত জনা যোগ্য স্বৰ্গদেৱ!
ৰাজযোগ্য কোঁৱৰৰ পক্ষাপক্ষ হই,
আমিও হইছোঁ সেই পাপকৰ্ম্মভাগী।
সলোৱাঁ এতেকে, হেৰা, বিপৰীত ভাব,
আহাঁ বাটলই।

ফুকন।- নহ'ব ই কাৰ্য্য মোৰ;
নোৱাৰোঁ ঘূৰিব মই তেনে বাটলই।
অহ, গদাপাণি হেন বীৰ অন্ত হেতু,
- বৰগোহাঞি ডাঙ্গৰীয়াৰ অবিহনে,--
ই হেন মন্ত্ৰণা-জাল। সাধাঁ তোমাসৱে
উদ্দেশ্য যি হয়। নোৱাৰোঁ থাকিব চাই
ইহেন ব্যৱস্থা।

(ন্যায়সোধা গোহাঞি-ফুকনৰ প্ৰস্থান)

ৰজা।--ইকি আচৰণ।

বুঢাগোহাঞি। ভাল হ'ল স্বৰ্গদেৱ।
এৰিছে আপদে ভাল। যুগুত মীমাংসা
মিলিব এতিয়া ভালে।

বৰবৰুৱা। --মিলিছে সুযোগ।
আলচোঁ এতিয়া ধৰাঁ গদাৰ মৰণ।

বৰপাত্ৰ।—সঁচাকে' লাগিছে চল এতিয়াহে হয়।

ৰজা।—সেয়ে স্থিৰ।
কৰাঁ ভাল যিবা হ'ব পাৰে।
গদাপাণি নাম যেন নালাগে শুনিব;
শুনোঁ যেন কালি তাৰ মৰণ-বাতৰি!
'শুভস্য শীঘ্ৰম্' মন্ত্ৰী, কৰিবাঁ স্মৰণ;
নানিবাঁ অশুভ মাতি নকৰাঁ পলম।

বুঃ গোঃ। - নকৰোঁ পলম।
চিন্তা নাই স্বৰ্গদেৱ!
গুপুতভাৱে কৰিম যুগুতি যিবা হয়
সভাসদে মিলি। ফলিব সুফল জানা
সাদিনৰ পাচে।

ৰজা—মানিছোঁ আশ্বাস।
উঠোঁ তেন্তে আজিলই; যোৱাঁ ঘৰাঘৰি।
সাদিনত কাৰ্য্য সিদ্ধি হয় যেন ভালে,
ৰাখিবাঁ মনত সৱে। (প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

জয়মতীৰ বুলনি

(জয়মতী আৰু পদ্মাৱতী)

জয়া। কিয় সখী
আছাঁ মন মাৰি?

পদ্মা। -এৰা সখী,
আছোঁ হে এনেই।

জয়া। - নুগুচে লগৰ এটা;
চিন্তা-লগৰীয়া দেহি, চিন্তাময়ী সখী।

পদ্মা। - দুশ্চিন্তা লগৰী আজি।
অমঙ্গল ফল তাৰ গাতে ফলিয়ায়, -
কবলই সত যোৱা নাই।

জয়া। —অমঙ্গল!
কিবা অমঙ্গল সখী, ভাবিছাঁ মনত?
কোৱাঁ ভাঙ্গি ততালিকে, গুচোৱাঁ মনৰ
উগুল-থুগুল ভাব।

পদ্মা—স্থিৰ হোৱাঁ সখী!
বিপদ বাতৰি শুনাঁ, ধৈৰ্য্য ধৰি আগে।

শুনিলোঁ বিষম কথা দেউতাৰ মুখে,—
আপদে মেৰায় দেখোঁ তব পতিধন!
ৰাজাজ্ঞা হইছে বাজ, লাঙ্গি-কোঁৱৰক
নিবহি আটক কৰি অঙ্গক্ষত হেতু।

জয়া।—বিষম বাতৰি দিলা।
কোঁৱৰৰ অমঙ্গল, অশুভ আশঙ্কা,
বাজিছে বুকুত যেন বজ্রসম শেল।
কিন্তু সখী, বীৰবাহু পতিধন মোৰ,
অকলই নিপাতিব শত শত্রুজন।
কোৱাচোঁ তথাপি, অঙ্গক্ষত কৰি স্বামী,
কাৰ কিবা হ'ব উপকাৰ?

পদ্মা।—জানোঁ সখী,
বিক্রম গদাৰ। ঘূৰিছিল গুপ্তচৰ,
নোৱাৰিলে কোঁৱৰৰ ছয়াঁকো পৰ্শিব।
কিন্তু, এবে আন বল,—প্রকাশ্যে আহিব
ৰাজ-সেনাদল, সহজে কৰিব বন্দী,
বিনাশিব প্রাণ নতু।-গদা-বিনাশনে
হেনো ৰজাৰ মঙ্গল।

জয়া।—কি হ'ব উপায় সখী।
কোঁৱৰৰ প্রাণে মাথোঁ আছোঁ প্রাণ ধৰি,
সেই প্রাণ অবিহনে জীওঁ কেনে কৰি?-
নেকাটি আগেয়ে লতা, কাটে কিয় গছ?
নেভাঙ্গি দেহাক আগে বধে প্রাণপখী,
কাৰ এনে মতি।

পদ্মা।-নহ'বা উতলা।
বিপদত ধৈর্য্য ধৰা বীৰপত্নী-চিন্।
শুনাঁ মোৰ যুগুত মন্ত্রণা,- ছদ্মবেশে
কোঁৱৰক বাজ কৰাঁ ৰাজ্যহন্তে ৰাতি।
থাকোক অজ্ঞাতভাৱে, ঘূৰি কিছুকাল,
ঘূৰিব পুনৰ ভাগ্য, ঘটনা-চক্রত।
'দিনে ক্ষণ, ক্ষণে কৰে অজৰ অমৰ'
—কালৰ কুটীলা গতি।

জয়া।—সাৰুৱা তোমাৰ যুক্তি, পালিম যতনে।
কিন্তু সখী! সংসাৰত নাই আৰু মায়া।
স্বামীৰ বিহনে মোৰ নৰব জীৱন.
বাঞ্ছা নাই তাত। উছৰ্গা কৰিছোঁ প্রাণ,
পতিৰ মঙ্গল হেতু, দিম পূর্ণাহুতি।
অনাথ সন্তান দুটি গতালোঁ তোমাক,
মাতৃৱত স্নেহিবা দুটিক।

পদ্মা।-খোৱা সখী।
নোবোৱাবা মোৰো হায় শোকৰ নিজৰা।
পাহৰিছা হিতাহিত উত্রাৱল হই,
কৰিছা উতলা মোকো। জান। সখী, নোহে
ইটো শোকৰ সময়। চিন্তা এবে আহাঁ,
ধীৰভাৱে কোঁৱৰৰ উদ্ধাৰ উপায়,
ঈশ্বৰ সহায় আছে। মঙ্গল আৰতি
ধৰোঁ সখাৰ কুশলে।

জয়া।--ধৰাঁ সখী।
সুপ্রসন্ন হয় যেন বিধি।

গীত

(বেহাগ)

প্রভো! দিয়াঁ দৰিশন।
মেলিছোঁ যতনে আমি, হৃদয় দাপোণ॥
অৱলা পৰাণ জুৰি, কৰিছোঁ কাকুতি হৰি,
এফেৰি কৰুণা প্রভো! কৰা বিতৰণ॥
অনাথিনী নাৰী আমি, জানি নাথ অন্তৰ্যামী,
দিয়াঁ নাথে কৃপা কৰি অভয়চৰণ॥
নৰ শত্রু হাত সাৰি, হ'ব স্বামী বনচাৰী,
ৰাখিবা অপায় নাশি বিপদতাৰণ॥

পঞ্চম গৰ্ভাঙ্ক

(গদাপাণি অকলে)

গদা।—মিলিছে সুযোগ অহ,
মিলিব যুঁজাক এবে মনৰ জোখায়।
পাৰ হ'ল অতকাল ধেমালি যুঁজত,
নিমিলিল ছেগ ক'তো সঁচা যুঁজলই;—
মিছা হ'ল বাহুবল, মিছা গদানাম।

মিলিছে সুযোগ এবে, অতকাল পিচে,
সম্মুখ সংগ্ৰাম হেতু ৰাজসেনা সতে,
নিপাতি যতেক বীৰ, সেনা-সেনাপতি,
ৰাজ্য উদ্ধাৰিম।

(নীৰৱ)

মিলিছে সুছেগ অহ,
পতিত আহোম ৰাজা পুনু উত্থানৰ।
পিতৃৰাজ্য ৰসাতলে যায়-যায় আজি!
স্বাৰ্থপৰ কুলাঙ্গাৰ পাত্ৰ-মন্ত্ৰী সৰে
ক্ৰমাগত নিছে তললই। অৰাজক
ৰাজ্য আজি হ'ল স্বৰূপত! নামে মাথে।
ৰাখি ৰজা অপাত্ৰ জনক, যতমানে
দুৰাচাৰে পাঙ্গি লই দুৰ-অভিসন্ধি,
লুটিছে পীড়িছে কৰি দেশ ছাৰখাৰ!
কতজন বংশধৰ হ'ল বিনাশন
অকালত অবাবত সামান্য স্বাৰ্থত;—
দহে মোৰ দেহ মন পৰিলে মনত!
জীৱনৰ ব্ৰত মোৰ আছে অন্তৰত,
ইসৱ উদ্ধাৰ কৰা বিনাশি অপায়।
নিৰ্জ্জীৱ অতনা দিন জীৱন্ত বাসনা
অন্তৰৰ অন্তস্থল আছিল বিয়াপি,
ছায়ে ঢকা অগ্নিশিখা প্ৰায়। আছোঁ ময়ো
মৰাপ্ৰায়, মনোবেগ মনতে সামৰি,
জীৱনৰ মহাব্ৰত হানি হয় বুলি!
সুমৰিছোঁ সৰ্ব্বক্ষণ হিত উপদেশ
ন্যায়সোধা ফুকনৰ; জন্ম মোৰ,
শিক্ষা, দীক্ষা, লক্ষ্য আৰু ৰণ-আথৰাৰ
স্বাধীন উদ্দেশ্য মাথোঁ জাতিৰ উদ্ধাৰ।
মিলিছে এতিয়া তাৰে সোণালী সুযোগ;—
কাৰ্য্যৰ ক্ষেত্ৰত, মিলিব দুদিন বাজে,
সম্মুখ সংগ্ৰাম।

(জয়মতীৰ প্ৰৱেশ)

জয়া।—দুখত আনন্দ!
সদানন্দ সদাশয় প্ৰাণেশ্বৰ মোৰ!
গ্ৰাসেহি বিপদে; তথাপি নহ'ল হায়,
চেতনা তোমাৰ!—নাই এৱে অন্যোপায়।

গদা। -নভৰাওঁ প্ৰিয়া হেৰা, নধৰিবাঁ মোক।
নপলাওঁ কদাচিতো কাপুৰুষ হই।
বীৰৰ শোভন কাৰ্য্য নহয় পলোৱা;
নোশোভে সি অযাচিতে গদাপাণিলই।
আহক যতেক আছে ৰাজ-সেনাদল;
জিনিম অকলে মই শতেক যুঁজাৰু।
আগে যুদ্ধ, পাচে মৃত্যু,—বীৰৰ কৰ্ত্তব্য
অৱশ্যে পালিম মই।

জয়া।—সঁচা প্ৰাণেশ্বৰ!
জানোঁ মই বিক্ৰম তোমাৰ। জানোঁ আৰু
বীৰৰ কৰ্ত্তব্য যিবা। অৱলা যদিবা,
নডৰোঁ মৃত্যুক ময়ো,—নাথাকে উপায়,
নাথাকে ভৰসা যেৱে। কিন্তু, প্ৰাণনাথ,
ভাগ্যৰ চকৰি সদা লাগিছে ঘূৰিব;
সুঘূৰিব তৱ ভাগ্য কোনে কব পাৰে?
দুদিন অজ্ঞাতবাস কৰাঁ তুমি গই,
মিলিব সুযোগ পুনু, উদিব নিশ্চয়
সুখৰ সুৰুয পূৱে।

গদা।- নামানে বুজনি, প্ৰিয়া,
সুবুজে পৰাণে আজি। আতিকে ঘিণাওঁ
মই ভয়াতু জনক;—নিন্দো ততোধিক,
পুৰুষালি নাই যাৰ। জানে সকলোৱে
মনোভাব মোৰ। আপোন পালত এৱে
কৰোঁ কিনো মতে, পুৰুষে নকৰা কাম?
আৰু এটি কথা;—তোমাক অনাথ কৰি,
এৰি লাই, সোণাই লেচাই, যাম মই
প্ৰাণ লই অকলে পলাই!—অসম্ভৱ—
প্ৰিয়া, মোক, নধৰিবাঁ টানি। তৰোপৰি,
ৰাহুৰ গ্ৰাসত এৰি পিতৃৰাজ্য মোৰ,
নকৰি প্ৰাণক পণ পলাম অকলে!—
ইও এক অসম্ভৱ কথা।

জয়া।—জানা নাথ!

তাতে হে ধৰিছোঁ টানি। নকৰিবাঁ মোক
চিৰ-অনাথিনী ; অকালত পিতৃহীন
নকৰা সন্তান। পতনমুখীয়া ৰাজ্য
নকৰাঁ উচ্ছেদ। ঘূৰিলে ভাগ্যৰ চাক,
ঘূৰিব সুদিন ; উদ্দেশ্য সফল হ'ব,
থাকিলে কুশলে তুমি।

গদা।—বান্ধনি কথাৰ!
নাবান্ধিবাঁ প্ৰিয়া মোক যুক্তিৰে মেৰাই।

জয়া। নহয় কথাৰ বান্ধ ;
হিয়াৰ আবেগ আৰু পত্নী-অনুৰোধ,—
নুবুজিলাঁ প্ৰাণেশ্বৰ!

গদা।—বুজোঁ প্ৰাণেশ্বৰী!
বুজিছোঁ কতনা আগে ব্যাখ্যান তোমাৰ।
কৰা নাই অৱহেলা, তৱ অনুৰোধ,
নকৰোঁ কাচিত, এবাঁ যদি আজিলই।

জয়া। –নিচিন্তাঁ মঙ্গল তেন্তে আমি তিনটিৰ?
দিবাঁ যদি ধৰা নাথ, ঠেলি অনুৰোধ,
বাকী তিনি প্ৰাণ তৱ, ৰাখাঁ ক'ত আজি?
—ডুবিব দুখত দিনে। আৰু চোৰাঁ নাথ,
দিয়াঁ যদি প্ৰাণ তৱ, অযথা যুঁজত,
অকলে সমুখ হই অনেকৰ সতে—
জীৱনৰ লক্ষ্য তৱ ৰাজ্য উদ্ধাৰৰ
হেৰুৱাবা তুমি।

গদা।—কি আছে উত্তৰ!
জীৱনৰ লক্ষ্য মোৰ স্বদেশ উদ্ধাৰ
নোৱাৰোঁ ভুলিব, আছেমানে দেহে প্ৰাণ।
যি লক্ষ্য ধ্ৰুৱতৰা এই জীৱনৰ,—
পতন-উন্মুখী ৰাজ্য ইন্দ্ৰ-বংশৰ
উদ্ধাৰ সাধন,—কৰি তাক শঙ্কাযুত,—
ডাৱৰমুখীয়া—নহ'ব যুগুত সঁচা
অযথা যুঁজত ধৰা মৰসাহ কৰি।
পূৰ্ণ হোক ইচ্ছা তৱ ; কৰিম অকাৰ্য্য,
পলৰীয়া হই আজি! কিন্তু, গদাপাণি
নাথাকে নিশ্চিন্তে শুই কৰ্ত্তব্য পাহৰি।
যাম মই ৰণ-বল গোটাবৰ গুণে।
জিনিম পাষণ্ড ৰজা, দিম সমুচিত,
পাপৰ শোধন আছি, বঢ়ালে বিপদ,
গুপ্তসিংহ জগোৱাই নিজে। থাকা প্ৰিয়া,
পোনা দুটি বুকত শুৱাই। চিন্তা নাই
মোৰ হন্তে, হ'ব দেখা দুদিনৰ পাচে।
কিন্তু, প্ৰিয়া ছদ্মবেশ?—

জয়া।—ৰাখিছোঁ যুগুত।
প্ৰাণনাথ! আহা এৰে, ধৰাঁহি সি বেশ।

গদা।—আগ হোৱাঁ প্ৰিয়া তুমি ; গইছোঁ পাচত।

(জয়মতীৰ প্ৰস্থান)

গদা। –(আপোনা-আপুনি) ছদ্মবেশ পৰিধান!
নোশোভে সি মন মোৰ, শোভে যদি দেহা।
সন্মুখ সংগ্ৰাম প্ৰাণে বিচাৰে আগত,
বাহুযুদ্ধ হেতু। অন্যায় শাসনে কিয়
পাব ভেটা-ভঙ্গা? দহৰ অধিক বল
ধৰিছোঁ দেহাত, মুহূৰ্ত্তে উপাৰি কিয়
নকৰোঁ নতুন দুৰ্জ্জন-কণ্টীয়া এত?
কিন্তু, অন্ত কৰা অকলই শত্ৰু অগণন
নহ'ব সম্ভৱ,—নহ'ব সাধন মোৰ
জীৱন-উদ্দেশ্য। এতেকতে, যোৱা ভাল
নগা দেশলই, সৈন্যবল গোটাবৰ
গুপুত উদ্দেশে।

(প্ৰস্থান)

অঙ্কপাত

দ্বিতীয় অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

(বগী পোহাৰী অকলে)

বগী।—দেহি ঐ, এনে হেন পুৰুষটি ৰজাই ঘূণীয়া কৰিবলৈ বিচাৰিছে! কিনো কাঠচিতীয়া ৰজা ঐ! অহ, কিনো থূলন্তৰ ল-নী পুৰুষটি একা! দেখিলেই

ভোক-পিয়াহ হবে! সঁচাকৈয়ে, গদাকোঁৱৰৰ দৰে মানুহ এই পিথিমীত নাই। যেনে মুনিহ, তেনে খাওন; আৰু যেনে খাওন, তেনে শকতি। অকলৈ দহজনক লব নহয়! পিচে, গোটেইখন ৰাইজে ধৰিলেনো বাৰু কেনেকৈ! সেই দেখিহে কোঁৱৰে ভেশছন ধৰি গুচি আহিছে। পিচে, এনেকৈ নো কিমান দিন ঘূৰিব দেহি!—কোনে খুৱাব? মই দুখুনীৰ ঘৰত ৰাখিব পৰা হলে যেনিবা বেটী-বৈ হলেও খুৱালোঁহেঁতেন। পিচে, কেনেকৈ থাকিব, নগৰৰপৰা নিচেই ওচৰ। ইয়াতে ৰজাৰ ৰণুৱাই পাইহি যদি তেওঁৰ ফালে যে টানেই, আমাৰ ফালেও পটং! সেই হেঁ এক মনে বোলোঁ থাওক ইয়াতে দিনচেৰেক, আকৌ এক মনে বোলোঁ সোনকালে গলেই হে ভাল। এই দোধোৰ-মোৰতে মোৰ টোপনি নাহে! কোঁৱৰে যেনিবা কৈছে, কাইলৈ দক্ষিণৰ ফালে যামগৈ বুলি পিচে, ঘপৰাই ওলায়হি বুলিহে। এঃ, যেই হওক,—মাৰেও মাৰক, কাটেও কাটক,- মই হলে যা বুলিব নোৱাৰোঁ আই। দেহি ঐ। জীয়াই থাকে যদি, কেতিয়াবা কি জানি এওঁৱেই বা ৰজা হয়? তেনেহলে মোৰ হক-নহওক, ৰাইজখন তৰিব। দোতাটি ঐ! কতনা নো অইনাই সহিবা। আজি-কালি আৰু ৰজা নামত হে, বিষয়া হে ৰজা। গদা কোঁৱৰৰ দৰে ৰজা এগৰাকী হোৱা হলে যেনিবা দুখৰ অন্ত পৰিলহেঁতেন। আইঔ। এতিয়া হে মৰিলোঁ!—কওঁতেই ওলালেহি!

(বগী গহীন হৈ বহে)

(গোটাচেৰেক ৰাজসেনাৰ বেগেৰে প্ৰৱেশ)

১ম সেনা।--হেই বুঢ়ী, হেইটো বাৰীচুকেদি কোন গ'ল?

বগী।—এ, বোপাই, সেইটো পাণ-সলোৱা নগা। কালিৰে-পৰা আছেহি। ভাতমুঠি দি বাৰীৰ বন কেভাল কটাই লৈছোঁ। বাৰী-দুখুনী মানুহ, মোক নো এইখন কোনে কৰি দিয়ে বোপাই!—ৰবকৈ ফোঁপাইছ দেহোন? -বহিবি নে?

২য় সেনা—এৰা, তোৰ ইয়াত বহি মৰোঁ!

বগী।--এ, আই, মোক নো ডাইনী দেখিলিনে বোপাই ঐ! বোপাইহঁত, তহঁত ৰজাৰ মানুহ নে কি?—কি বিচাৰিছ?

৩য় সেনা।--নহয় নো কি আকৌ; দেখিও দেখা নাই নে ধেন্দেলী? গদা-কোঁৱৰক বিচাৰি ফুৰা কথা এইজনীয়ে ক'বই নোৱাৰে হব'লা!

বগী। -এ, কেলৈ নো খং কৰ বোপাইটি! জানি নো সুধিবলৈ ৰং লাগিছে নে? বাৰু, তেনেহলে নালাগে বহিব, নকওঁ। এৰা, এখনমান তামোল খোৱাৰ পৰৰ আগতে শকত-আৱত মানুহ এটা চুচুক্-চেমাককৈ সো ফালেদি গৈছেগৈ। নিলগৰ-পৰা আৰজাতটোত গদা-কোঁৱৰ যেন লাগিল।

কেইওটাই—কেনি, কেনি, কেনি? কেতিয়া গ'ল? কিমান পালেগৈ?

বগী। (আঙুলিয়াই) সউ ফালে। বেগেৰে গৈছেগৈ। লৰি গলে লগ ধৰিব পাৰিবিগৈইক।

সেনাদল। -বল, বল, লৰি বলইক, পামগৈ লগ।

(সেনাদলৰ বেগেৰে প্ৰস্থান)

বগী। (অকলে) ভাল আজি ঈশ্বৰেহে ৰইখা কৰিলে! অতবোৰ ৰণুৱাৰ আগত কোঁৱৰে অকলে কি কৰিলেহেঁতেন! দেহিঐ, কোন্ বিধতাই নো ৰইখা কৰিব আকৌ? ইয়াত সৰহ দিন থকাটো হলে মই ভাল নেদেখিছোঁ। কোনোবা এদিন আহি আন এজাক ৰজাৰ ৰণুৱাই আকৌ পাবহি। ইয়াৰপৰা সোনকালে পঠিয়াই দিয়াই ভাল। পিচে, ভাললৈ চাওঁতে বেয়াটো হে হ'বগৈ। যাওঁ, দিনে-পোহৰে ৰান্ধি, কোঁৱৰক এসাঁজ ভোক গুচাই খুৱাওঁগৈ। দিনত ওলাবই নোৱাৰে, আজি ৰাতিয়েই গলে হে যোৱা।

(প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

মন্ত্ৰণা-চ'ৰা

(ৰজা আৰু বুঢ়াগোহাঞি ডাঙ্গৰীয়া)

ৰজা।—সাদিনৰ অস্ত মন্ত্ৰী, চাপিল ওচৰ।
বুঃ গোঃ।—চাপিছে আমাৰো কাম;
আজি-কালিতেই হ'ব ফলোদয়।
ৰজা।—কিবা হ'ল আয়োজন?
বুঃ গোঃ।—গইছে এদল সেনা, আজি পুৱাতেই;
ঘূৰিব আবেলি।
ৰজা।—ঘূৰিব গদাক লই?

(দুৱৰীৰ প্ৰৱেশ)

দুৱৰী।—স্বৰ্গদেৱ!
দুৱাৰত দূত উপস্থিত।
বুঃ গোঃ।—ঘূৰি গই
মাতি আন সত্বৰে ইঠাই।
দুৱৰী।—যিবা আজ্ঞা, দেউতা-ঈশ্বৰ।

(দুৱৰীৰ প্ৰস্থান)

ৰজা।—কিবা অৰ্থে?
বুঃ গোঃ।—আনিছে বাতৰি জানো,
আলচা কথাৰ।
ৰজা।—শুভ নে অশুভ!
কিবা ভাব পালোঁ তাৰ?

(দূতে সৈতে দুৱৰীৰ পুনঃ প্ৰৱেশ)

বুঃ গোঃ।—কিবা বাৰ্ত্তা দূত?
দূত।—উলটিল সেনাপতি।
নাপালে সন্ধান ক'তো গদা-কোঁৱৰৰ।
ৰজা।—নাপালে সন্ধান ক'তো!
দূত।—হৈছে স্বৰ্গদেৱ!
নিৰুদ্দেশ গদাপাণি, দিন চাৰি আজি;
নকয় ঘৰত কেৰে, নাজানে অপৰে।
উলটিল ৰাজসেনা, নাপাই বিচাৰি।

ৰজা।—সৰ্ব্বনাশ ডাঙ্গৰীয়া!
কি হ'ব উপায়? জোকাই খেদিলোঁ দেখোঁ
বিষধৰ সৰ্প আজি!- নিৰুত্তৰ ইয়,
হ'লো দেখোঁ তুমি?
বুঃ গোঃ। ভাবিছোঁ উপায় আন।—স্বৰ্গদেৱ,
জানে সি সন্ধান, পত্নীয়ে অৱশ্যে তাৰ।
ৰাজাজ্ঞাত জয়মতী ডৰিব নিশ্চয়;
দুনাই সুধিলে টানি দিব জানো কই
পতিৰ উদ্দেশ।
(দূতৰ প্ৰতি) পুনৰপি গই দূত,
সুধি আহ গদা-প্ৰিয়া। স্থিৰ বাৰ্ত্তা লই
ঘূৰিবি ত্বৰিতে।
দূত।—যিবা আজ্ঞা ডাঙ্গৰীয়া।

(প্ৰস্থান)

ৰজা।—মানিছোঁ আশ্বাস।
কিন্তু ডাঙ্গৰীয়া, বাঢ়িছে আশঙ্কা ঘোৰ;
নাভাবিবা জয়মতী সামান্য তিৰোতা,
জানো মই মনোবাঞ্ছ সেই ৰমণীৰ।
দিব যে সহজে তেওঁ পতিৰ সন্ধান,
বিশ্বাস নহয় মোৰ।
বুঃ গোঃ।—চিন্তা নাই স্বৰ্গদেৱ!
জানো মই নাৰীপ্ৰাণ, জানো ভালোপায়।
নিদিয়ে সন্ধান যদি দূতৰ আগত,
সভাত কৰালে থিয় দিবহি সম্ভেদ,
লাঞ্ছনা ভয়ত।
ৰজা।—লাগিছে মনত মোৰো।
কিন্তু, জানোঁ, সৰ্ব্বভাৰ ৰাখিলোঁ তোমাত;
তোমাতে আশ্বাস মানি পুৱাম ৰাতিটো;
পুৱাতে মিলিম পুনু। (আসন এৰে)
বুঃ গোঃ।—ভাল স্বৰ্গদেৱ!
যাওঁ ময়ো, আলচোঁ উপায় আৰু গই

(প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

নগা-পৰ্ব্বত

চিন্নু নাগিনীৰ পঁজা

(চিন্নু আৰু গদাপাণি)

চিন্নু।- ন, কি-ৰা-মা?

গদা।—মুবুজোঁ তোমাৰ কথা।

চিন্নু।—তুমি হলে টিঙ্গিমা নহয় না কি?

গদা।--একো বুজা নাই; মই ভৈয়ামৰ মানুহ।

চিন্নু।—অ, আমি জানিলে, তুমি হলে টিকিমা আছে। টিঙ্গিমা কাপৰ তুমি কেলে' পিন্দিছে?

গদা —মই টিঙ্গিমা টিফিমা একো বুজা নাই, মিতিনী।

চিন্নু।—অঃ, তুমি হলে টিক্ টিফিমা টাকিছে। টিঙ্গিমা হলে আমি-মানুহকে কয়; টিফিমা হলে ভৈয়াম-মানুহকে কয়। জানিলে?

গদা—ওঁ, জানিলোঁ, বুঢ়ী মিতিনী।

চিন্নু।—তুমি হলে বৈয়াম পৰা কেলে' আহিলে?

গদা।—ৰজাই মোক কাটিবলৈ বিচৰাইছে। সেই দেখি মই নগা সাজি ফুৰিছোঁ, মিতিনী!

চিন্নু।—আয়ু, কেনে ডেকাটো! তোকে অলে কেলে' কাটিব?

গদা।—আৰু, মিতিনী! ৰজাৰ মানুহে মোক বিচাৰি ফুৰিছে। তাই ককো নকবি দেই?

চিন্নু।—উঃ, নকয়। আমি হলে তোকে লুকাই টব। আয়ু, ইমান বাল ডেকাটো! কেলে, কাটিব? তুমি অলে বৈয়ামত নেযাবি দেই?

গদা।—নহয় আই, মই যাব লাগিব। মই এটা ডাঙ্গৰ কথাৰেহে ইয়ালৈ আহিছোঁ। সেই কাম হলেই মই আকৌ ভৈয়ামলৈ যামগৈ।

চিন্নু।—বাৰু বাৰু, তুমি অলে যিমান দিন টাকিবি, হিমান দিন টাকিবি দেই। আমি হলে এতিয়া বুই দেকিব যাইছে। তুমি হলে গৰতে বহিবি। আমি-জীয়েক জিন্নু ভি ইয়াতে বহিছে। ৰজা-মানু আহিব হলে জিন্নু তোকে কৈ দিব। তুমি হলে পলাই টাকিবি দেই।

(চিন্নুৰ প্ৰস্থান)

গদা।— মহান্ উদ্দেশ্য মোৰ
সাধোঁ কিনো মতে! নাজানো নগাৰ কথা;
বুজাওঁ কিমতে মোৰ গুপুত বাসনা?
গোটাওঁ কিৰূপে হাঁয়, ৰণ-বল মোৰ!
নালাগে অধিক মোক; ক্ষুদ্ৰ এটি দল,
পাওঁ যদি আশে-পাশে বাছনি নগাৰে,
হ'ব সেয়ে যোগ্য বল শত্ৰু জিনিবৰ!
অহ, বুঢ়ীটিৰ কি যে স্নেহ!—হয় যদি
সিদ্ধি কিবা, হ'ব পাৰে বুঢ়ীটিৰ গুণে।
দেখোঁ কিবা হয়।

(জিন্নুৰ প্ৰৱেশ)

জিন্নু।—আ-কি-ত! তুমি অকলে টাকিছে!

গদা।—এৰা, লগ হেৰুৱালোঁ; অকলে নাথাকি কি কৰিম!

জিন্নু।--কেলে', আমি হলে তুমি লগতে টাকিছে নহয় না? তুমি বয় নকৰিব দেই। আমি তোকে ৰাকি টাকিছে।

গদা।—ভয় নকৰিও ভয়াতুৰৰ কাম কৰি আহিছোঁ; আৰু নো কি ভয় নকৰিম!—বাৰু, ভয় নকৰোঁ।

জিন্নু।-- আমি তোকে হলে পাঁচ-দিনৰপৰা ডেকিছে দেই। তুমি হলে আমিখানৰ পামতে বহিছিলে নহয় না?-হেই ডাঙ্গাৰ পাথৰ ওচৰ্তে?

গদা। -হয়, তাতে কেদিনমান আছিলোঁ।

জিন্নু।—তুমি হলে বাগি আহিছে দেই। আমি জানিছে।

গদা।—কেনেকৈ জানিলি? মই দেখোন ইয়াৰ আগেয়ে তোক চিনাকি দিয়া নাই। তুইবো কেতিয়াও দেখাদেখিও হোৱা নাইচোন।

জিন্নু।—তেনেকে' জানিলে। ৰজা-মানু' হলে তোকে বিচাৰিছে নহয়? আমি ডেকি টাকিছে। হেই দিন্‌তে হৰ মানু আহিছে। তোকে হলে মানুখান ডেকিছে দেই। আমি হলে তেতিয়া হেই ডাঙ্গাৰ

পাথৰ ওপৰতে উঠিলে। আমি হলে ধান বুকিবলে কাপৰা লগতে এটা তুলি হাজিছিলে দেই। আমি ওপৰপৰা হেই তুলি লহং কৰি মেলি দিলে। তুমি হলে তাতে লুকালে। টিফিমা মানু' হলে দেও আছে জানিলে। হিটোখান বয় কৰিলে। পলাই গলে।

গদা।—অহ, দয়াময়ী! তুমিহে ৰাখিলাঁ সেই দিনা?
জিন্নু, কিয়নো কৰিলি দয়া?

জিন্নু।—আমি হলে তোকে বাল্ পায়।

গদা।—কিয়নো ভাল পার জিন্নু?

জিন্নু।—এনেয়ে বাল্ পায়। তোকে হলে আমি মৰম লাগে।

গদা।—এদিনতে দুৰ্ভগীয়ালৈ তোৰ কিয় মৰম লাগিল? তুমি দেৱী, তুমি মোৰ বিপদত তাৰিলাঁ।

জিন্নু।—তুমি ইয়াতে নাই আহাতে, আমি হলে দিন-দিন ডেকিব যাইছে। দিন-দিন তোকে হলে আমি বাল্ ডেকিছে। তুমি হলে বৈয়ামতে নাযাব দেই?

গদা।—(মনতে) ওখপাহাৰত বাস, আজলী নাগিনী, নাজান কুটীল ভাব নীচ ভৈয়ামৰ! (ফুটাই) লাগিব যাব জিন্নু!

জিন্নু।—তুমি লগতে হলে আমি ভি যাব দেই?

গদা।—কি কৰিবি তই গৈ জিন্নু?

জিন্নু।—তোকে হলে আমি ডেকি টাকিব।

গদা।—দুখ পাবি মোৰ লগত ফুৰি, জিন্নু!

জিন্নু।—আমি হলে হৰ ফুৰিব পাৰে। তুমি লগতে যালে দুক্ নাপায়।

গদা।—বাৰু, পাচে দেখা যাব, জিন্নু!

জিন্নু।—বাৰু, তুমি হলে বুঁই ডেকিব যাব না?

গদা।—ওঁ, যাব পাৰোঁ। কিমান দূৰৈ?

জিন্নু।—হৰ দুৰতে নাযায়। আহিবি। আমি পিচে-পিচে আহি টাকিবি।

(প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

জয়মতীৰ বুলনি

(জয়মতী)

জগ: । -

বিৰহ-বিলাপ

(ৰাগিণী ভৈৰবী—তাল কাওৱালী)

কিয়নো জীয়াই আছোঁ, আৰু কিবা আশা ধৰি
আজিও ধৰিছোঁ দেহা, প্ৰাণ মোৰ গ'ল এৰি॥
যি গছৰ হই ছাঁয়া, ধৰিলোঁ সংসাৰ মায়া,
নাই আজি সেই তৰু, ধৰোঁ কায়া কেনে কৰি॥
বেলাটো বিৰহ যাৰ, অসহনী লাগে ভাৰ;
নাই তেওঁ দিন চাৰি, আছোঁ মই দেহা ধৰি॥
বহুভোগী প্ৰাণধন, দুখুজে অপৰে মন,
কি ভোগ মিলিছে আজি ভিখাৰী বেশেৰে ঘুৰি॥
ৰাখাঁ প্ৰভো! বিশ্বেশ্বৰ, ৰাখাঁ মোৰ প্ৰাণেশ্বৰ,
অন্নপূৰ্ণা দিবাঁ ভোগ, য'তে ত'তে অৱতৰি॥
নগাৰ নগৰা বান্ধ, দিলেঁ৷ আঁটি আতি টান,
সহিছে কতনা জানো, কুৰূপ সাজেৰে ফুৰি॥

(নীৰৱ)

আছা ক'ত, কিবা ভাৱে,
প্ৰাণেশ্বৰ মোৰ? সঙ্কেতে মনৰ ভাব
বুজি কোনে আজি, তুষিছে বিৰহী প্ৰাণ?—
বুজে কোনে মন তৱ, অভাগিনী বিনে!
কিনো বেশ ধৰি হায়, গলাঁ প্ৰাণধন;—
সুকোমল শৰীৰত বেতৰ নগৰা!
দেহ-মন-প্ৰাণ পৰিছে মলিন জানো
অজ্ঞাতবাসত! -

(নীৰৱ)

(প্ৰাৰ্থনা)

হে নাথ, অনাথ নাথ, ক্ষেমিবাঁ ই দায়,
তৱ আগে স্বামীপদ স্মৰোঁ এটিবাৰ।
পতিগতি, পতিমুক্তি, পতিপদসেৱা,
সতীৰ প্ৰথম কাম, বিধিৰ বিধান।
নিচিন্তি পতিৰ পদ, আন দেৱ-দেৱী
পূজা বিধি নাই; এতেকেসে অন্তৰ্যামী,

ক্ষেমিবা বেটীৰ দায়।—সবল গোহাৰি
আৰু দুখুনীৰ,—ৰাখাঁ মোৰ স্বামী
নিৰাশ্ৰয়, নিঃসহায়, নিজগুণে প্ৰভো!
চুলি ছিঙ্গি কৰিছোঁ কাতৰ,—কৰাঁ দূৰ
শতেক অপায় দেৱ, পতি-দেৱতাৰ।
শুনিছিলোঁ, সাৱিত্ৰীয়ে পতি-প্ৰাণ-দান,
লভিছিল হাতে-হাতে, পূজি ধৰ্ম্মৰাজে;
পালে আৰু বহু দান স্বামীৰ কাৰণে।
পূজিছোঁ বেটীয়ে ময়ো, হোৱাঁ তুষ্ট দেৱ,
দিয়াঁ আজি মোক স্বামীৰ মঙ্গল দান।
আছেমানে ক্লেশৰাশি পতিধনলই,
দিয়াঁ মোক ভোগ তাৰ, খণ্ডোক অপায়। (নীৰৱ)

(আহিনীৰ প্ৰৱেশ)

আহিনী।—আইদেও!
ৰাজ-দূতে কৰে নিবেদন।

জয়া।—(অবিচলিতভাৱে) ঘূৰিগই আন মাতি;
সোধোঁ প্ৰয়োজন।

আহিনী।—আনো মাতি আইদেও! (প্ৰস্থান)

জয়া।—(স্তৱ) আৰু, প্ৰভো! দুটি পুত্ৰ, বীৰৰ সন্তান
ৰাখিছোঁ ৰখীয়া হই। দিয়াঁ তযু কৃপা,
হোক দুয়ে পিতৃতুল্য বীৰবাহু; পিতৃৰত
বাঢ়ে যেন দিনে। স্বামীৰ গৌৰৱ আৰু,
বাঢ়ে যেন পুত্ৰ হস্তে মোৰ।

(দূতে সৈতে আহিনীৰ পুনঃ প্ৰৱেশ)

দূত।—(সেৱা জনাই) আইদেও!
পাচিলে দুনাই মোক, জানিবৰ হেতু
পতিৰ সন্ধান তৱ।

জয়া।—দিছোঁ সমিধান,—
নিদিওঁ সন্ধান মোৰ পতিদেৱতাৰ!
আছেমানে দেহে প্ৰাণ, নিদিওঁ চাপিব
স্বামীৰ বিপদ, নিজে বাতৰি যোগাই।

দূত।—মন্ত্ৰীসৱে অনুৰোধ কৰিছে বিস্তৰ,
আপোন অপায় তৱ খণ্ডাবৰ হেতু,
পতিৰ সন্ধান কই।

জয়া।—বৃথা অনুৰোধ। নলৰে বচন মোৰ
লৰিলেও হিমালয়; পূৱৰ সূৰুয
আৰু পছিমে উদয় যদি। কবি গই
বৃথা চেষ্টা ৰাজক্ষমতাৰ।

দূত।—আৰু, দেৱী!
নিবেদোঁ চৰণে তৱ;—নিদিলে সন্ধান,
হব লাগে চ'ৰালই তৱ আগমন।

জয়া।—কি কলি পাষণ্ড!
আছে কিবা প্ৰয়োজন, পূৰ-মহিলাৰ
ৰজাৰ চ'ৰাত গই?—কাৰ আজ্ঞা ইটো?
কোন্ দুৰাচাৰে কৰে এনে অবিচাৰ,
অৱহেলি ৰাজনীতি? কিবা অপৰাধ
কৰিছোঁ ৰজাক মই?

দূত।—কিবা অপৰাধ মোৰ? আজ্ঞাবহ দূত!

জয়া।—নাই দোষ তোৰ।
দোষী তোৰ আজ্ঞাকাৰী।—ইকি অবিচাৰ!
নিৰ্দ্দোষী নাৰীক মাতি ভুঞ্জায় লাঞ্ছনা!
সাহিছে অৱলা জানি, তাতে অনাথিনী।
কিন্তু, কি জানে সি,—সতীৰ ৰখীয়া পতি,
অনাথিনী-নাথ আছে পৰম-ঈশ্বৰ!—
নামানোঁ লাঞ্ছনা ভয়, নডৰোঁ ৰজাক,
শুনাম উচিত কথা চ'ৰালই গই।
যাবি দূত, কবিগই, গইছোঁ পাচত,
আপোন ইচ্ছাৰে মই।

দূত।—শিৰে ধৰোঁ বাণী;
জনাম চ'ৰাত গই।

(প্ৰস্থান)

জয়া।—(চিন্তাযুত) যাব লাগে চ'ৰালই।
পতিযোগ্য সন্মানৰ আহিলা-পাতিৰে
বাহন যুগুত লাগে। ৰাখোঁ গই আৰু,
পোনা দুটি যতনেৰে সখীৰ বুকুত।
অপত্য চেনেহে মাথো কৰিছে দুৰ্ব্বল,
কঁপিছে মাতৃৰ প্ৰাণ!

(প্ৰস্থান)

পঞ্চম গৰ্ভাঙ্ক

ৰাজমাও-টোল—ভিতৰ-চ'ৰা

(ৰাজমাও আৰু ন্যায়সোধা গোহাঞি ফুকন)

ৰাজমাও।—পিচে, ডাঙৰীয়া।
সতীৰ উদ্ধাৰ হেতু যুগুত উপায
পালাঁ নে বিচাৰি কিবা ?

ন্যায়সোধা ফুকন।—নেদেখোঁ উপায।
মন্ত্ৰণাত মত্ত ৰজা, নামানে আমাক।
মাতৃৰ বুজনি বুলি, তৱ উপদেশে
জানোবা ধৰায় গুণ।

ৰাজমাও।—অৱশ্যে বুজাম মই।
কিন্তু, ডাঙৰীয়া, নামানিলে কথা মোৰ
কি হ'ব উপায় ?

ন্যায় ফুকন।—নিৰুপায ৰাজমাও।
তথাপি এবাৰ চোৱাঁ কিবা ফলোদয়।
বুজাবা বিশেষকই,—নীতিবিগৰ্হিত
নাৰী অত্যাচাৰ কথা। তাতে জয়মতী
অতি পতিপ্ৰাণা,—পীড়ে যদি মহাসতী,
ৰাজলক্ষ্মী নৰব নিশ্চয, ইন্দ্ৰবংশী আহোম কুলত।

ৰাজমাও।—বুজাম তদ্ৰূপ।

ন্যায়-ফুকন।—আৰু এটি ক'ব লাগে,
নিৰাপদ এবে ৰজা, নাই গদাপাণি,
গ'ল তেওঁ ৰাজ্য এৰি। আৰু যতমানে
আছিল কোঁৱৰ যোগ্য, হ'ল অঙ্গক্ষত,
নাই আন ভয় আৰু, আছোঁমানে আমি।
কিন্তু, পীড়ে যদি সতী, বাঢিব বিপদ,
ধ্ৰুৱসত্য কথা, নৰ'ম সহায় আমি
নৰব সহায় কেওঁ কু-মন্ত্ৰীত বাজে।

ৰাজমাও।—স্বৰূপ কইছা তুমি।
যিমতে বুজাব পাৰোঁ, বুজাম নিশ্চয়,
সাধ্য যতমানে। কিন্তু, তুমি ন্যায়-মন্ত্ৰী,
নহবা বিতুষ্ট। ল'ৰামতি ল'ৰা-ৰজা
ঘূৰিব আমাৰ বাটে, ঘূৰিব নিশ্চয়,
তোমাৰ সহায় পালে। মাতিছোঁ ল'ৰাক
আজি দুপৰত।

ন্যায় ফুকন। কৰাঁ মাও, যিবা হয়, মাতৃৰ উচিত।
ফলে যেন আশা মোৰ ৰজাৰ মঙ্গল,
পৰে যেন ৰক্ষা আৰু সতীৰ সন্মান।
মাগিছোঁ বিদায় এবে।

(ফকনৰ প্ৰস্থান)

ৰাজমাও। যোৱাঁ ডাঙৰীয়া। (নীৰব)
নেৰিবা মন্ত্ৰণা শৰ, নহবা হতাশ।
বুজাওঁ কিমতে হায়, অবুজ সন্তান।
নামানি বন্ধুৰ কথা, হিত উপদেশ,
হৈছে উন্মত্ত আজি শত্ৰুৰ লগত।
কি ৰূপে ৰখাও আজি সতীৰ সন্মান,
ৰক্ষা পৰে কিনো মতে জয়মতী প্ৰাণ।

(ৰজাৰ প্ৰৱেশ)

আহাঁ মোৰ পুত্ৰধন, আহা কাষলৈ,
দেখিছোঁ মলিন দেখোঁ মুখানি তোমাৰ ?

ৰজা। গুৰুতৰ ৰাজকাৰ্য্যে কৰিছে কাতৰ।
কিবা অৰ্থে আজি মোক মাতিলাঁ জননী।

ৰাজমাও। আছে অৰ্থ, কম পাচে।
আগে বাছা দেখোঁ তোৰ মন হৰষিত।

ৰজা- চাপি তব কাষ,
পাহৰিছোঁ কাৰ্য্যচিন্তা, লভিছোঁ জিৰণি,
শান্তিৰ এফেৰি ছাঁয়া পৰিছে প্ৰাণত।
কোৱাঁ মাতৃ, কিবা কাৰ্য্যে মাতিলাঁ সেৱকে ?

ৰাজমাও। -শুনা মোৰ উপদেশ।
কুমন্ত্ৰণা শুনি তুমি নহ'বা উতলা,
নুশুনিবা কথা আৰু, পৰৰ অহিতে।
নানিবা কলঙ্ক বাছা, আপোন কুলৰ,
নেখেদিবা ৰাজলক্ষ্মী, নিজে নিলগাই,
—অজ্ঞানৰ দৰে।

ৰজা—কিবা কোৱাঁ মাতৃ মোৰ!
 বুজোঁ কথাৰ পাক, তৰিছোঁ যি ভাৱে
 অপায় সুচাই।

ৰাজমাও।—সতীৰ পীড়ন বাছা, নানিবা মনত;
 নিদিবা লাঞ্ছনা তুমি বোৱাৰী জয়াক।
 অবাবত অলাভত, অবলাক তুমি,
 পীড়িবা কি বুলি!

ৰজা।—নহয় পীড়ন মাতৃ!
 ৰাজ্যৰ মঙ্গল হেতু লাগিছে সন্ধান
 পদাপাণি কোঁৱৰৰ; নিদিয়ে বাতৰি
 গৰবিণী ভাৰ্য্যা তাৰ। কি দোষ আমাৰ?

ৰাজমাও।—নালাগে সন্ধান বাছা!
 নাই আৰু ই ৰাজ্যত গদাপাণি বীৰ;
 মৰিল কঠীয়া আন যোগ্য কোঁৱৰৰ।
 কি ভয় তোমাৰ? আছোঁ মই, আছে আৰু
 বিজ্ঞ মন্ত্ৰী সহায় তোমাৰ।

ৰজা। নধৰিবা মাতৃ মোক, কৰিছোঁ মিনতি;
 নবধিলে গদাপাণি ঘুণুচে অপায়।
 স্বৰূপ বাতৰি দিলে এৰোঁ জয়মতী,
 শাস্তিৰ বিধান নতু নখণ্ডে কাচিত।
 নধৰিবা টানি মোক।—আহোঁ মাতৃ এবে,
 আছে বহু ৰাজকাৰ্য্য কৰিবলগীয়া।

(বেগেৰে প্ৰস্থান)

ৰাজমাও।—নিৰুপায়!
 সুঘূৰিল ল'ৰা মোৰ বাটে।
 স্বৰূপ ধৰিছে কথা বিজ্ঞ মন্ত্ৰীবৰে,
 মন্ত্ৰণাত বশ আজি ল'ৰা-ৰজা মোৰ!
 কোনোদিনা কৰা নাই, অৱহেলি মোক,
 মাতৃৰ অপ্ৰিয় কাম; আজি মাথোঁ হাঁয়,
 দেখিলোঁ অবাধ্য মোৰ বুকুৰ সন্তান!—
 নেৰোঁ কিন্তু পিচ ময়ো। চাওঁ চিন্তি আৰু,
 পাওঁ যদি ঘূৰাবৰ আন কিবা বাট।

(প্ৰস্থান)

ষষ্ঠ গৰ্ভাঙ্ক

ৰজাৰ ৰবচ'ৰা

(বুঢ়াগোহাঞি ডাঙৰীয়া অকলে)

বুঃ গোঃ। নৰজিল কথা মোৰ;
 নাপালোঁ সন্ধান! কিন্তু, তাৰ প্ৰতিফল
 পাব হাতে-হাতে, নেৰিছোঁ প্ৰতিজ্ঞা ময়ো,
 নেৰিম প্ৰাণান্তে। অন্ত কৰি গদাশক্তি,
 নিষ্কণ্টক সিংহাসন নকৰি নপৰোঁ
 মই জিৰণি পাটীত। আৰু মোৰ পণ,—
 জিনিম বিপক্ষদল মন্ত্ৰণা-ফেৰত,
 নৰজিব কথা কাৰো বিজ্ঞমন্ত্ৰী বুলি।
 ৰাখিছোঁ মুঠিত ৰজা; আৰু সভাসদ
 আছে মোৰ সহায় বিশেষ; আছে আৰু
 সেনাপতি বাহুবল মোৰ। ইচ্ছা কৰি
 পাৰোঁ আজি, ভাঙিব পাতিব সিংহাসন।—
 ইচ্ছা মোৰ, এই ৰাজে কৰে ৰাজভোগ
 অখণ্ড প্ৰতাপে আজি, নৰব জীৱিত
 অন্যজন ৰাজপাটলই। সিদ্ধি হ'ব
 গুপুত বাসনা মোৰ, উদ্দেশ্য মহান্;—
 ৰাজ্যৰ ধৰণী নাম লম এইবাৰ,
 ঘাই-মন্ত্ৰী নামে।

(সভাসদসকলৰ প্ৰৱেশ আৰু আসন গ্ৰহণ)

ৰৰপাত্ৰ।—আপ, দেখোঁ অকলই!
 দেখিছোঁ ভাৱত আৰু, অতি নিগমন।

বুঢ়াগোহাঞি।—নৰজিল অনুৰোধ,
 নিদিয়ে সন্ধান; দিলে কাঠ-সমিধান।
 জয়াই উত্তৰ দিলে,—"নিদিওঁ সন্ধান
 মোৰ পতি দেৱতাৰ; নলৰে বচন,
 লৰে যদি হিমাচল!"—এনে গৰবিণী
 গৃহিণী গদাৰ!

ৰৰবৰুৱা।—অতি অসহন কথা!
 ৰজাৰ আজ্ঞাত এনে অৱজ্ঞা প্ৰকাশ
 সহোঁ কোন প্ৰাণে!

(ৰজাৰ প্ৰবেশ)

ৰজা।—(সিংহাসনত বহি) কিবা হ'ল ডাঙৰীয়া!
কিবা সম্বিধান আনিলে উলটি দূতে?

বুঃ গোঃ।—কাঠ-সম্বিধান
আনিলে উলটি দূতে;—নিদিয়ে সন্ধান।
সগৰ্ব্বে শুনালে কথা,—'নলৰে বচন'।
শুনা নাই জীৱনত নাৰী বচনেৰে,
এনে সম্বিধান দান ৰাজাজ্ঞা উৰাই।

ৰজা।—নানিলাঁ ধৰাই কিয়
তেতিক্ষণে গৰবিণী নাৰী?—মন্ত্ৰী তুমি,
কিয় হ'লাঁ ৰাজকাৰ্য্যত এনুৱা নত।

বুঃ গোঃ।—ৰখা নাই বাকী।
আছিল আদেশ মোৰ, ধৰি আনিবৰ,
নিদিয়ে সন্ধান যদি।

ৰাজখোৱা।—দূতৰে হে ক্ৰটী তেন্তে?

ৰজা।—ক'ত দূত, আন বান্ধি।
তুৰন্তে শালত তাক দিব লাগেগই,
আজ্ঞা হ'ল মোৰ।

বন্দীপাল।—যিবা আজ্ঞা স্বৰ্গদেৱ।
(হাত পিচলৈ কৰি দূতক বান্ধে)

দূত।—স্বৰ্গদেৱ, অপৰাধ –

ৰজা।—তুৰন্তে শালত, তুৰন্তে শালত।
(দূতক লৈ বন্দীপালৰ প্ৰস্থান)
আন বান্ধি অপৰাধী আছে কোন্ আৰু,
হালে-হালে পঠিয়াওঁ যমপুৰী আজি।

(কটোৱালৰ প্ৰৱেশ)

কটোৱাল।—(আঠু লৈ) স্বৰ্গদেৱ!
দুৱাৰত উপস্থিত মহিলা বাহন।

বুঃ গোঃ।—হ'ব পায় জয়মতী!
আনগই যথাসমাদৰে; আন জন
নাহিব লগত।

কটোৱাল।—যিবা আজ্ঞা, দেউতা-ঈশ্বৰ!
(প্ৰস্থান)

ৰজা।—আহে কোন্ ডাঙৰীয়া!

বুঃ গোঃ—দেখোঁ আহে কোন্,
জয়মতী স্বইচ্ছায় আহিবৰ কথা।

ৰজা।—আনিছে সন্ধান জানো!

বুঃ গোঃ।—নোৱাৰিচোঁ ক'ব।

(কটোৱালৰে সৈতে জয়মতীৰ প্ৰৱেশ)

জয়া।—নিবেদিছোঁ ৰাজভক্তি সিংহাসনলই।

ৰজা।—কোন তুমি, কিবা প্ৰয়োজন।

জয়া।—প্ৰয়োজন?
প্ৰয়োজন, ৰজাদেৱ, নাই একো মোৰ;
থাকে যদি আছে তোমাৰেসে। জয়মতী
নাম মোৰ,—ৰজাৰ বোৱাৰী।

ৰজা।—(বুঢ়াগোহাঞিলৈ চাই নিৰুত্তৰ)

বুঃ গোঃ।—(ৰৰবৰুৱালৈ চাই নিমাত)

বৰবৰুৱা।—(তলমূৰ কৰি নিমাত)

সভাসদ।—(আচৰিতভাৱে তৱধ)

ন্যায়ফুকন।—(বিৰক্তিৰ হাঁহিৰে মূৰদুপিয়নি)

জয়মতী।—কিবা দৃশ্য ইটো!
কিয় হেন নিৰুত্তৰ, ৰজা-মন্ত্ৰী-সভা?
গুপুত ৰহস্য কিবা?

ন্যায়ফুকন।—ৰহস্য উপাৰোঁ মই।
নাই মোৰ তলমূৰ,চকু-লাজ-ভয়,
নডৰোঁ জয়াক।—পতি তৱ আজি ক'ত?
দিব লাগে সন্ধান চ'ৰাত। সেই অৰ্থে
ৰাজাজ্ঞাত আগমন তোমাৰ ই ঠাই।
—দিয়াঁ সম্বিধান।

জয়া।—সম্বিধান, ডাঙৰীয়া,
দিছোঁ মই যিবা হয়, দূতৰ আগত,
নাই আৰু ক'বলই, নলৰে বচন।

ৰজা।—দিব লাগে পতিৰ উদ্দেশ।

বুঃ গোঃ—নহলে ভুঞ্জিবাঁ জানা, লাঞ্চনা অশেষ!

বৰবৰুৱা—ৰাজাজ্ঞা হেলন তৱ নহয় উচিত;
সমুচিত দণ্ড নতু, লাগিব ভুঞ্জিব।

জয়া।—ৰজাৰ অধীন প্ৰজা;—নোহে তাৰ হিয়া।

আজ্ঞাধীনা বুলি আজি আহিছোঁ ইঠাই
ৰাজাজ্ঞা পালন হেতু, পালিম যি পাৰোঁ ;—
অহা নাই হিয়া মোৰ বলি দিবলই।
নিদিওঁ বুলিছোঁ মই স্বামীৰ সন্ধান,
নিদিম প্ৰাণান্তে। নডৰাই জয়মতী ;
নেদেখাবাঁ নীচ বিভীষিকা। ৰখা নাই
বাকী আৰু লাঞ্ছনাৰ,—ৰজাৰ বোৱাৰী
হলোঁহি চ'ৰাত থিয়, আহিল কুখ্যাতি
ইন্দ্ৰবংশী আহোমৰ আজি।– আছে নে কি
বাকী কিবা আৰু ?
ন্যায়ফুকন।—নাই! নাই! নাই!
বৰবৰুৱা।—নকলে এৰণ কিন্তু নেদেখোঁ তোমাৰ।
বুঃ গোঃ।—অশেষ যন্ত্ৰণা আৰু লাগিব ভুঞ্জিব।
ৰজা।—নকলে অৱশ্যে হ'ব শাস্তিৰ বিধান।
জয়া।—কিয় এনে হীনবল দেখোঁ সিংহাসন!
কিয় অকাৰণ বিচাৰে কাতৰ ভাৱে,
সুদৃঢ় প্ৰতিজ্ঞা মোৰ পাবলই লৰ!
কিয় ভয় প্ৰদৰ্শন, শাস্তিৰ বিধান
ধৰিছে আগত মোৰ ?—জনা আছে মোৰ,
লাগিব সহিব ক্লেশ নশ্বৰ দেহাত,
জানি-বুজি কৰিছোঁ যি হয়। নোহে মোৰ
মন বিচলিত, নহ'ব কাচিত জানাঁ।
দেহাৰ পতন সতে মনৰ মৰণ,
নেদেখাঁ নিশ্চয় এই নাৰী জীৱনত।
কৰাঁ যিবা বুজা ভাল,—নিদিওঁ সন্ধান।
গোঃ।—আতিকে দাম্ভিকা বাৰু, নহবাঁচো হেৰা
দেখিলোঁ চকুৰে এই তোমা হেন তিৰী,—
দেখিছোঁ বিস্তৰ! কৰা নাই কেৱে এনে
ৰাজাজ্ঞা হেলন!—আপুনি মাতিছাঁ যম,
কি দোষ আমাৰ ?
ৰজা।—নোৱাৰি সহিব আৰু!
বন্দীপাল! বাজ কৰ, এই গৰ্বৰিণী।
নিতে নৱ শাস্তি দিবি, কৰিবি জীয়াতু,
যন্তপি নিদিব তাই পতিৰ বাতৰি।

(বন্দীপাল জয়মতীৰ পাচত সভয়ে থিয় দিয়ে)
জয়।—নোবোলাঁ অবাচ্য ৰজা, 'তাই' বচনেৰে,
প্ৰতিশোধ সমুচিত দিবহি কালত,
বীৰবাহু পতি মোৰ ঘূৰিব যেতিয়া।
আতিকে দুৰ্ব্বল তুমি ; নাই বীৰ তেজ,
নেদেখোঁ বীৰৰ চিন্ সমূলি তোমাত।
পতিৰ অজ্ঞাতে কোনে সতী পীড়নত
দেখায় মতালি! ধিক্ তৱ পুৰুষালি!
মহাপাপী তুমি, নাচাওঁ তোমাক আৰু!
ধাৰ্ম্মিকে তোমাৰ সঙ্গ্ নলব কাচিৎ।
বন্দীপাল! বল, যাওঁ, শাস্তি-থানলই।
(বন্দীপালে সৈতে জয়মতীৰ প্ৰস্থান,—সভা নীৰৱ)
ৰজা।—কিবা ভাব অকস্মাৎ!
ছাতিলেহি চাঁত্‌কৰে ঘোৰ অন্ধকাৰে!
ভয়ঙ্কৰ ভৱিষ্যত উদিছে আগত যেন।
নোৱাৰোঁ বহিব স্থিৰে, লাগিছে বিষম।
সভা ভঙ্গ আজিলই, নাই আন কাজ।
জ্বলিছে সৰ্ব্বাঙ্গ মোৰ, পোৰে জানো কিহে!
(ৰজা বিতত্ হৈ প্ৰস্থান)
বুঃ গোঃ।—দেখা নাই গতি ভাল! হ'ব যে সফল
মোৰ প্ৰাণৰ উদ্দেশ্য, নাই তাৰ আশা,
প্ৰতিজ্ঞাত স্থিৰ জয়মতী।—নাই আশা,
মিছা হ'ল সকলো যতন! ভয়ঙ্কৰ
পৰিণাম দেখিছোঁ আগত ;—কিবা জানি
উলটি সকলো দায় পৰে আহি গাত ;
লাগে বা ভুঞ্জিব নিজে পাপৰ নিকাৰ।
বাজিছে বুকুত মোৰ, আশঙ্কাৰ শেল,
বজ্ৰসম কোব তাৰ! উঠাঁ সভাসদ,
যাওঁ ঘৰাঘৰি ; ভগা-সভা ধৰি আৰু
নাই প্ৰয়োজন।
ন্যায়ফুকন।—যত অনৰ্থৰ গুৰি
একমাত্ৰ তুমি! পাপৰ প্ৰায়শ্চিত্ত এবে
এৰাবাঁ কিমতে ?
(প্ৰস্থান)

অঙ্কপাত

তৃতীয় অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

বন্দীশালৰ দুৱাৰমুখ

(চাওদাং-বকৰা)

বকৰা।—পমিছে কঠুৱা মন,
কিয় আজি মোৰ? কিয় হেন কান্দে প্ৰাণে,—
বিদৰে ই হিয়া? পীড়িছিলোঁ কত জনা
নিকৰুণ ভাৱে, বধিলোঁ কতনা আৰু,
টলা নাই মই কদাপি ইদৰে আগে,
কৰ্ত্তব্য পাহৰি।
(পদ্মা, আহিনী, লাই-লেচাইৰ প্ৰৱেশ)

পদ্মা।—সম্ভাষোঁ বকৰাদেৱ।

বকৰা।—কোন্ বা গাভৰু?

পদ্মা।—গোহাঞি-গাভৰু মই,
পদ্মাৱতী নাম। মন্ত্ৰীৰ জীয়াৰী, আৰু
জয়মতী-প্ৰাণসখী।

বকৰা।—কিমতে পশিলা আহি এই বন্দীশাল?
—কিবা প্ৰয়োজন?

পদ্মা।—সন্তাপে লগালে বাট;
উদ্বেগে সবল কৰি আনিছে ই ঠাই।
কৰা যদি দয়া তুমি, কৰোঁ নিবেদন
যিবা অভিপ্ৰায়।

বকৰা।—শক্তিয়ে আটিলে মোৰ
ৰাখিম খাটনি।

পদ্মা।—শক্তিৰ নাটনি নাই।

আহিনী।—ইচ্ছা মাথো লাগে।

বকৰা।—ইচ্ছাৰ অভাৱ নাই,
নাপাওঁ যদিহে বাট, কি আছে উপায়!

পদ্মা।—ৰাখা যদি অনুৰোধ, দিয়া অনুমতি,
সখী দৰশন লাভ কৰোঁ এটি বাৰ।

বকৰা।—জীয়ন্তে অসাধ্য কাম
নাই আতপৰ; অসম্ভৱ অনুৰোধ
নকৰিবা গাভৰু!

পদ্মা।—দৰশন লাভ মাথোঁ।
নাই আন অভিপ্ৰায়, নকৰা সন্দেহ।

বকৰা।—নকৰোঁ সন্দেহ।
কৰ্ত্তব্যত বন্ধা মই, কি আছে উপায়!

লেচাই।—আনি দিয়া আইতাক মোৰ।

আহিনী।—নিৰুপায়।

লাই। আছে ক'ত আইতা লুকাই?

পদ্মা।—কিনো কওঁ!
দেখিছা বকৰাদেৱ, কি কৰোঁ উপায়!

বকৰা।—কি দিম উপায়!
দিব পাৰোঁ প্ৰাণ মোৰ, হলে উপকাৰ,
কিন্তু হায়, অনুৰোধ নোৱাৰোঁ ৰাখিব,—
এয়েবা কৰ্ত্তব্য মোৰ!

আহিনী।—নাজানে অপৰে কেৱেঁ!

বকৰা।—নকৰিবা সি কথা।
প্ৰাণৰ মমতা ৰাখি হোৱা নাই মই,
অটল ইৰূপ। হ'ব মোৰ প্ৰাণদণ্ড,
নাই তাৰ ভয়, কিন্তু সদা লাগে ভয়
কৰ্ত্তব্য পাহৰোঁ বুলি।

পদ্মা।—নিলগে এবাৰ দেখা?

বকৰা।—নধৰিবা টানি।
বিদৰিছে হিয়া মোৰ, পাষাণ যদিও,
মহাসতী পীড়নত। পমিছে হৃদয়,
অবুজন বালকৰ দেখি শোক-দুখ!
নাভাবিবা ৰখা নাই তৱ অনুৰোধ,
প্ৰাণৰ মমতা ৰাখি।

পদ্মা।—কুশল বাতৰি তেনে দিয়া তুমিয়েই।

বকৰা।—সখী তৱ বন্দী এবে।
নোপোৱা বাতৰি, নোপোৱা সন্ধান একো
ৰাজ-আজ্ঞা বিনে।

পদ্মা।—নোহোৱা সদয় তেন্তে?

বৰুৱা।—বুজিও, সুবুজি
অবুজ, গাভৰুদেৰ, কিয় হোৱাঁ তুমি?
পদ্মা।—বুজিছোঁ বৰুৱাদেৱ,
—নামানে পৰাণে!
বৰুৱা।—নকৰাঁ আমনি আৰু;
তোমাকে মাতিছোঁ।
পদ্মা।—(চকু-লো টুকি) নকৰোঁ আমনি।—
বলাঁ ঘূৰি পোনাইত নিমিলে সাক্ষাৎ!
আহিনী লগত দুয়ো যোৱাঁ ঘৰলই;
ৰাজমাও-টোল মই ঘূৰি আহোঁগই,
ৰাজ-আজ্ঞা দিহা কৰি। (পদ্মাৰ প্ৰস্থান)
আহিনী।—(কান্দি কান্দি) আহা, পোনাইত!
লেচাই—নেদেখিলোঁ আইতাক? (কান্দে)
আহিনী।—আহা, পোনা দুটি অই!
দেখিবাঁ পাচত। (প্ৰস্থান)
বৰুৱা।—(ক্ষন্তেক নিটাল মাৰি) যাওঁময়ো,
কৰোঁগই শাস্তিৰ বিধান।
ভাগ্যত পৰিছে এনে নিদাৰুণ কাম! (প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

জেৰেঙা পথাৰ

(জয়মতী আৰু চাওদাংবৰ্গ)

জয়মতী।—(বন্ধা অৱস্থাত) শক্তিদাতা ভগৱন্ত!
অসহন নিৰ্য্যাতন সহিবৰ গুণে,
দিছা শক্তি শৰীৰত;—দিয়াঁ একে শক্তি
এবে এই হৃদয়ত সহোঁ একে দৰে
লাঞ্ছনা অশেষ। ভাবিছে দুৰ্ম্মতি ৰাজে,
পাশৱ পীড়নে কৰিব দুৰ্ব্বল মোক,
বলেৰে কৰাব মান্তি, সই নবলই,
নাজানি সতীৰ প্ৰাণ পতিপ্ৰাণা বুলি!—
জনা নাই, হিয়া এই সবল কিমান;
সহনৰ শক্তি যে কিমান!—শক্তি নাই
ভাবিবৰ তাৰ!

১ম চাওদাং।—সেইবোৰ যে বলকিব পাৰাঁ, আমি সোধা কথানো কেলেই ক'ব নোৱাৰাঁ? তাকে কৈ দিলেইচোন ৰইথা পোৱাঁ।
২য় চাওদাং।—ওঁ, ময়ো তাকে কওঁ। এওঁ কিন্তু, নিজৰ কথাটোকে হে ধৰি থাকে।
জয়া।—নাথ মোৰ, সুখে থাকাঁ, যতে আছা তুমি,
নোপোৱাঁ বাতৰি যেন ইফালে যি হয়।
৩য় চাওদাং।—হেৰ, ই কথাই কথা নহয়। এওঁ খালি নাথকে হে পাইছে; আমাৰ কথালৈ কাণ নকৰে।
২য় চাওদাং।—এৰা, আকৌ শান্তিত হে ধৰিব লাগিল। এওঁৰ পদ-ঘোষাই আমাৰ গা নাৰাখে, জানিছ?
১ম চাওদাং।—নহয় নো কি, পৰৰ লগত পৰে কোন্ মৰে অ'? নেদেখিলি দূতৰ গতি! ধৰ, চোৰাত লগাওঁহঁক।
৩য় চাওদাং।—ৰবি, ৰবিচোন ককাইহঁত, আকৌ কিবা এবকলা গাব খুজিছেচোন। কথাৰ মাজত কেনেবাকৈ কথাটো ওলায়েই বা? (কেইওটাই কাণ পাতি শুনে)
জয়া।—নেৰিবাঁ শক্তিয়ে মোক।
বাঢ়ে যেন ধৈৰ্য্যবল, বাঢ়ি চতুৰ্গুণে,
বাঢ়েমানে নৰৰূপী দানৱৰ বল।
এৰিম ইয়াতে দেহা, শেষ-পীড়নত,
নাই তাত খেদ মোৰ; কিন্তু যদি ভাগে,
যত্নৰ প্ৰতিজ্ঞা মোৰ, কিবা স্বৰূপত,
বিষম যন্ত্ৰণা হায়, বাজিব প্ৰাণত!
ইঘোৰ সমস্যা বেলা নাৰী জীৱনত,
দেহ-মন দুয়ে ধৰিবি সহন টানি,
নহবি অৱশ।
২য় চাওদাং।—হেৰ, তইঁতে মুখলৈ চাই থাকোঁতে বলকনি বাঢ়িছে হে।
১ম চাওদাং।—এৰা, ধৰিব হে লাগিল। কিন্তু আমনি লাগিল দেখোন, কিমান নো শাস্তি দিম!
৩য় চাওদাং।—ৰবিচোন, শুনচোন, কয় কি,—ভাল শুনি।

জয়া।—লাগিছে বিষম বোধ, মৰা-শৰীৰত,
অমৰণ মন মোৰ নহয় কাতৰ।

২য় চাওদাং।—হেৰ, আম্‌ৰলি মেলোঁহক। কাতৰ হোৱা নাই বোলে।

৩য় চাওদাং।—হয়, তাতে পানী ঢালি দিব লাগে। কিমান পৰ নো সহে চাওঁ!

২য় চাওদাং। -উঃ! আতি টান পালোঁ হয়! ভাগৰিলোঁ আৰু!

৩য় চাওদাং।—ভাগৰ লাগিলগৈ হয় দেও! ককাইহঁত বহ, অলপ জিৰাওঁ। ৰবিচোন, অলপ পদক শুনোঁ।

(তিনিও এফলীয়া হৈ বহে)

জয়া।—বসুমতি! আছে যদি ধৰম তোমাত,
ৰাখিবাঁ ধৰম মোৰ;—দিবাঁ শক্তি তযু,
সহনৰ পূৰ্ণগুণ আজি। ক্ষমা গুণ আৰু
দিয়াঁ মোক পূৰ্ণভাৱে, ক্ষমোঁ অজ্ঞানক।
নিবিচাৰোঁ প্ৰতিশোধ; পাব প্ৰতিফল,
ফলিব কালত সি, কৰ্ম্ম অনুসৰি।
কিন্তু ভিক্ষা এই, পায় যেন প্ৰাণনাথে,
মঙ্গল আশ্ৰয়, অপায়-অশান্তি মাজে।
আৰু মোৰ দুটি পোনা এৰিছোঁ পাচত,—
দুটি সিংহৰ পোৱালি; থাকে যেন দুয়ো
আপদ এৰাই। পতিত ই ৰাজবংশ
স্বামীয়ে উদ্ধাৰা পাচে, কৰিব উজ্জ্বল,
অদ্বিতীয় ৰজা হই। বাঞ্ছা আৰু নাই;—
স্বামীৰ চৰণ যেন ভাগ্যে পাওঁ দেখা,
এবোঁতে মাটিৰ দেহা মাটিক গতাই।

৩য় চাওদাং।—সাঁজ লাগিল। ককাইহঁত কি কৰ? ৰাইজো লাহে লাহে ভাগিছে। আগবেলাৰ শাস্তিয়েই আটিছে; ইমানতে আজিলৈ আধ্যা পেলাওঁহক, কি বোল?

১ম চাওদাং।—এৰা, আজিলৈ ইমানতে এৰোঁহক।

২য় চাওদাং।—হয়, এৰাই ভাল। শুনিছানে প্ৰহৰী ককাই! ৰাতিটোলৈ তোমাক হে গতালোঁ। আমি আহোঁ হে এতিয়া। ব'ল ব'ল, যাওঁ ব'ল, খৰ কৰ, ককাইহঁত, ৰাতি হয়।

(চাওদাংবৰ্গৰ প্ৰস্থান)

(সমুখত ৰাজবাটৰ পট পৰে)

তৃতীয় গৰ্ভাঙ্ক

ৰাজবাট

(ভোগাই, নদাই আৰু গঙ্গাই)

ভোগাই।--(কানৰপৰা খৰিভাৰ পেলাই) উঃ, হৰি-গুৰু-বান্ধৱ-কৃষ্ণ-গোবিন্দ! ৰাম ৰাম ৰাম ৰাম!

(বহে)

(জালৰ ভাৰ লৈ নদাইৰ প্ৰবেশ)

নদাই।—অ' কি কৰিছ ককাই?

ভোগাই।—এ, ছাতে বহি অথন্তক জিৰাই উৱাহটো লৈছোঁ বোপাই! ৰাম ৰাম ৰাম ৰাম!

নদাই।—ময়ো অথন্তক বহোঁ ককাইটি! কঁকালটো পোনাই লওঁ। (জাল-জৰিৰ ভাৰখন থৈ) ইঃ ইঃ ঠৰ হলোঁ পায়! (কঁকালত হাত দি মেচা হৈ বহে)

(কানত টোকোন লৈ গঙ্গাইৰ প্ৰবেশ)

গঙ্গাই।—ভাল লগ পালোঁহি ককাইহঁত ঐ! ভাল ৰইথা পৰিলোঁ। উঃ, আজি মহ-যখ এটাই বেয়াকৈ পিচ লাগিছিল, বুপাই! ইঃ ইঃ ইঃ, ভাল সাৰিলোঁ। ককাইহঁত, বোলোঁ কৰিছ কি?

ভোগাই।- তইনো দেখিছ কি? চকু দুটা পিচপিনে পিন্ধিলি নে কি? পিচে, গৈছিলি নো কলৈ?

গঙ্গাই।—এ, কিনো হ'ব কলে ককাইটি! কালিৰেপৰা মোৰ ম'হজনী নাই; দিনটো বিচাৰি বিচাৰি মিছাতে হাইৰাণ হলোঁ! ককাই হেৰ, আছে যদি ছালি এখন দে। গাঁঠিটো মেলছোন; মুখ ভেঁকুৰিল! (টোকোনত ভেজনি লৈ থিয় দিয়ে) অঃ মোৰ স্বোৰামীগুৰু!

নদাই।—বৰকৈ নাম ললিচোন? মৰিব গোনাইছ নে? অ, যসে পালেই নে কি?

গঙ্গাই।—মৰ্‌ তয়ে অধৰমী। পাব তোকো এদিন যথে।

নদাই।—ইঃ ধৰমীটো নেদেখিছা? ই নমৰে, ভাৰন্তৰ নিকাৰ মসা সাই ইয়াতে থাকিব।

ভোগাই।—এ, কিনো মৰা-জীয়াত লাগিলিহঁত ঐ! বোলোঁ, জীয়াত নো সকাম কি, মৰাত নো নিকাম কি? কেনি নো আহিলি? বাটত দেখি অহা নাই নে? এনেকৈ হলে জীয়াই থাকিব নো লাগিছে কেলৈ ঐ!

নদাই।—ভাল মনত পেলালি ককাই। কিনো কম ককাই ঐ, মানুহজনীৰ বিলাইসন!

গঙ্গাই।—এৰা, তথাপি তাই গিৰিয়েকৰ কথাটোকে কৈ দিছে জানো! বেতৰ কোব, চমটা, চোঁৰাত, আমৰলি,—আইঐ, মোৰ গাটো জিকাৰি উঠে।

ভোগাই।—হেই পাষণ্ড! তাই-চাই নুবুলিবি। তই নেজান নে, সেইগৰাকী আমাৰ গদাকোঁৱৰৰ ঘৈণী-আইদেউ বুলি?

নদাই।—এৰা, সওঁতে সয়। কথাটো তেনে যেন পালোঁ সয়। কি, ককাই, কিহৰপৰা নো কিটো হ'ল্ কচোন?

ভোগাই।—ক'ৰ নো চুকত সোমাই আছিলি অ'? কেদিনমান হ'ল, গদাকোঁৱৰ পলাইছে নেজান? ৰজাই বিচৰাই পিটাপিটু কৰাইছে।

গঙ্গাই।—পিচে, পিচে,—

ভোগাই।—পিচে আৰু পিচে। পিচে, তেওঁনো কলৈ গ'ল তাকে ৰজাই জয়মতী আইদেউত সুধিছে, আইদেৱে নকয়। এই কথা।

নদাই।—ঔ গোখাঁই! ইমান ছেপাসুন্দাতো নকয় ঔ!

গঙ্গাই।—এৰা, তোৰ বৰপোহাৰীৰ দৰে দেখিছ নহয়?

নদাই।—এ, নগপাবি অ', তোৰ বৰঘৈণী জনী নো কেনে জনী? বৰকে নগপাবি সেৰ, সং উঠি যায়!

গঙ্গাই।—এৰা, ঘাটিলোঁ পায়! তেও, তোৰ জনীৰ দৰে পোনেই টেঁটুতে নধৰেহি পায়।

নদাই।—সয়। তোৰ জনীৰ দৰে মোৰ ওপৰত সনে-সনে মকতমা চলাইছিলগৈ নহয়? মই অমুকা সাৰী নোলোৱাগৈ হলে তোৰ বৰঘৈণীয়েৰে বগাঘৰত ভাত সুৱালেহেঁতেন। তেও গুণ হে নাই!

ভোগাই।—এঃ থ, থ, তহঁতৰ চুপতিথন, বুপাইহঁত। মন্-চন্ বেয়া লাগিছে। মেনে মেনে থাকহঁক।

গঙ্গাই।—অ, হয়, পিচে ককাই, পিচে?

ভোগাই।—পিচে, দন্দ পাত; পিচডোখৰ লাগিছে কেলেই?

গঙ্গাই।—নহয় ককাই, ক বাৰু, কচোন।

ভোগাই।—পিচে, জয়মতী আইদেৱে গৃহস্থৰ কথা নকয়। সেই গুণে এনে অইনাই শাস্তি দিছে।

নদাই।—ভাল কৈছ, ককাইটি ঐ, এনে অইনাই দেসা নাই!

গঙ্গাই।—নকবি আৰু ককাই, এই ৰাজ্যত থাকিব নোৱৰা হ'ল। দিনকাল উলটিল।

ভোগাই।—উলটিল হে হয়। এই চকুৰেই কেবাজনাও হৰ্কদেৱ দেখিলোঁ; এনে অইনাই কৰা দেখা নাই বুপাই!

নদাই।—আৰু ককাই! কিবা বোলেনে ৰজাৰ ভাইগেহে ৰাইজৰ ভাগ। নেদেখিছ, সেতি-পথাৰৰ ফালে! কিন্তু অইনাই কৰাৰ পোটক পাইছে বোলে। কেদিনমানৰপৰা সেনো ৰজাৰ গাত গোখাঁই নাইকিয়া হৈছে।

ভোগাই।—এৰা, শুনিলোঁ হয়, ৰজা হেনো অলপ বিভ্ৰমৰ দৰে হৈছে। ভূতেই পালেনে কোনোবাই যাদুৱেই কৰিলে জানো?

নদাই।—এৰা, সিবিলাকে আৰু, জৰা-ফুকা কৰি জৰি-ফটি এগছ দিয়ক ছাৰি পাৰেমানে দৰব-মসাহে সুৱাইছে!

ভোগাই।—যি হ'ব নোৱাৰিছে, আমাৰ মেনে মেনে থাক। বুঢ়া-গোঁহাই ডাঙ্গৰীয়াকো বোলে কোনোবা এজন ডাঙ্গৰীয়া-ভকতে পাইছে হেনো।

নদাই।—পাই থক। দৰবমসা সুৱাই ঘাটি লগাই থক।

গঙ্গাই।—এঃ, তহঁতে বহ ককাইহঁত। মই যাওঁ হে আৰু। ছালি এডোখৰো নিদিলি!

(গঙ্গাইৰ প্ৰস্থান)

ভোগাই।—আমিও যাওঁ। আমিনো কি ৰাজপাটখন

খাবলৈ বহিছোঁ। (উঠি কানত ভাৰ লয়) নদাই মুঠ নে?

নদাই।—এৰা উঠোঁ ককাই। (ডিঙ্গিত হাত ফুৰাই) অ! ককাই, মৰিলোঁ! মোৰ ডিঙ্গিৰ বৰথীটো নাই! ককাইটি ঐ! নেৰিবি, মোক আগ কৰ, (লৰি আগ হয়)। উঃ, (টকালি পাৰি) বৰথীটো মৰিয়াৰ সতুৰাইনে শনিবাৰে গঢ়োৱাই লৈ পিন্ধিছিলোঁ বুপাই। ইঃ ইঃ ভাল কথাসন হ'ল! পৰহিলৈ মঙ্গলবাৰে আকৌ এটা গঢ়াই লৈ নিপিন্ধোমানে ওলাবই নোৱৰা হলোঁ। ইস্‌! ইস্‌! ইস!

(প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

বন্দীশাল

জয়মতী।—অহ, মোৰ পোনা দুটি!
এৰিলোঁ অনাথ কৰি; –কতনা বিলাই
হইছে পাচত জানো। সখীক গতাই
এফেৰি নিশ্চিন্ত মাথোঁ, কিন্তু হায়, মোৰ
মাতৃহীন পোনাইতে থলকি লগাই
কান্দিছে নথৈ জানো, নামানি বুজনি!
লেচাই সোণায়ে মোৰ নামানে আনক,
লাই সোণে পাকেপতি বিচাৰে আইতা!
সখীৰ সন্তাপ জানো বাঢ়িছে দিনকে,
আমনিত আৰু চতুৰ্গুণে। আৰু দেহি,
আহিনীটি!—মোৰ হস্তে প্ৰাণ দিয়ে তাই!
চুবুৰীয়া সৱলই পৰিছে মনত;
পাতিছে সবাৰে জানো মোৰেই হে কথা।
নমৰি জীয়াই আছোঁ, ভুঞ্জিবৰ গুণে,
ই ঘোৰ সন্তাপ!

(ৰাজমাও আৰু পদ্মাৱতীৰ প্ৰৱেশ)

পদ্মা।—দেহি ঐ, সখী মোৰ
কিনো অৱস্থাত! (লৰি গৈ সাবটি ধৰে)

জয়া।—ই কি! প্ৰাণসখী মোৰ!
(দুই উন্মাদিনীৰ সাবটাসাবটি)

পদ্মা।–(কান্দি কান্দি) আছিলোঁ জীয়াই,
তোমাৰ এদুৰা দশা দেখিবৰ গুণে!

জয়া।–(কান্দি কান্দি) আজিও জীয়াই আছোঁ,
তোমাসাৰ শোক তাপ বঢ়াবৰ গুণে!
(ৰাজমাওৱে চকুলো টুকি টুকি কাষ চাপে)

ৰাজমাও। (কান্দি কান্দি) কোন সতে চাওঁ আজি,
বোবাৰী জয়াক!

জয়া। (বাউলী হৈ ভৰিত পৰি) কিনো ভাগ্য মোৰ,
আইচু-দেউতা আহি দিলে দৰশন!

ৰাজমাও। (কান্দি কান্দি) কৰ্ত্তব্যবোধ বাছা মোৰ;
কি দিম উত্তৰ। নহ'ল সাধনা সিদ্ধি;
বৃথা হ'ল যত্ন আৰু উদ্ধাৰ মন্ত্ৰণা
যতমানে মোৰ।

জয়া। সকলো দশাৰ ফল,
বিধিৰ লিখন মাত, নাযায় খণ্ডন,
নাই দোষ কাৰো।

ৰাজমাও। বিধিৰ লিখিন সঁচা
নলৰে দেখিছোঁ!

জয়া। সখী ঐ, পোনা দুটি মোৰ?
(আকৌ উন্মাদিনী হৈ পদ্মাৰ ডিঙ্গিত ধৰে)

পদ্মা। (কান্দি কান্দি) ৰাখিছে ঈশ্বৰে ভালে।
উমলি ফুৰিছে দুয়ো, আহিনী লগত,
পাহৰি কষ্টেক।

জয়া। (কান্দি কান্দি) নেদেখিলোঁ পোনা দুটি!

পদ্মা। (বৰকৈ কান্দি) আহিছিল দুয়ো;
ৰাজ-অনুমতি বিনে নাপালে প্ৰৱেশ।

জয়া। দেহি ঐ, নাপালে প্ৰৱেশ!
(হিয়াত ভুকুমাৰি লুটি খাই পৰে, ৰাজমাও
আৰু পদ্মা দুয়ো ধৰি তোলে)।

ৰাজমাও। উঠা বাছা মোৰ;
নকৰিবা খেদ আৰু কি হ'ব কান্দিলে।
নিজে তুমি জ্ঞানৱতী, কি দিম বুজনি,

তোমাৰ যশস্যাৰাশি, বাটে-ঘাটে কত
গাইছে ৰাইজে আজি।

পদ্মা। দেখা দি বঢ়ালোঁ খেদ,
মই অভাগিনী! ক্ষন্তেক মিলন সুখ
লভিবৰ গুণে, তুমুৰা অগনি আহি
জ্বলালোঁ প্ৰাণত।

জয়া। নকৰা আক্ষেপ সখী!
মুহুৰিবা ভাগ্য তৱ, অভাগিনী হেতু।
শোকৰ নিজৰা মোৰ বোৱাই ক্ষন্তেক,
হইছোঁ সুস্থিৰ।

ৰাজমাও। বিপদত ধৈৰ্য্য ধৰা
তোমাৰে সুগুণ; বইছে যশস্যা তাৰ
ৰাজ্য জুৰি আজি। ঘৰে ঘৰে পটন্তৰ,
হ'লা তুমি বাছা!

জয়া। জনাবা সম্ভাষা মোৰ চুবুৰীয়া সৰে,
ৰাখিবা মনত সখী, অভাগিনী কথা।
ৰাখিবা যতনে আৰু, পোনা দুটি মোৰ।

পদ্মা। নিশ্চিন্তে থাকিবা সখী,
পোনা দুটি লই। প্ৰাণ মোৰ আগ কৰি
পালিম দুটিক।

ৰাজমাও। থাকিলোঁ সহায় ময়ো,
নহবা চিন্তিত।

পদ্মা। আৰু এটি কথা সখী,
ক'ব খোজোঁ মই, নোপোৱা বিষম যদি।

জয়া। কিবা কথা সখি?
তোমাৰ কথাত মোৰ কাহানি বেজাৰ?

পদ্মা। শুনা তেন্তে প্ৰাণসখি!
দিলে নো এতিয়া বাৰু, পতিৰ সন্ধান,
কিবা অমঙ্গল হ'ব পাৰে কোঁৱৰৰ?
উলটিল ৰাজসেনা নাপাই বিচাৰি,
কদাপি নাপাব ঘূৰি; নাই ভয় আৰু;
পাইছে কোঁৱৰে জানো গুপুত আশ্ৰয়।
দিবা নে সন্ধান?

জয়া। নকবা সি কথা সখী!
স্বামীৰ সন্ধান নোলায় মুখত মোৰ
থাকেমানে প্ৰাণ। নাভাঙো প্ৰতিজ্ঞা আৰু
জানিবা ধ্ৰুৱপ। প্ৰাণ মোৰ উছৰ্গিছোঁ
স্বামীৰ কুশলে।

ৰাজমাও। এটা কথা কই বাছা,
পোৱা পৰিত্ৰাণ, সাৰা ঘোৰ নিৰ্য্যাতন;
নাভাগে প্ৰতিজ্ঞা।

জয়া। আইচু-দেউতা মোৰ!
নেদেখাব সিটো বাট, নুবুজাব মোক
সই ল'বলই। বাকী নাই লাঞ্ছনাৰ
আৰু নিৰ্য্যাতন।

পদ্মা। তাতে হে কইছোঁ সখী,
ৰক্ষা পৰা বিপদ এৰাই। দিবা কই
যথা তথা স্থান।

জয়া। মৰণ অধিক বাঞ্ছোঁ,
ক'ব লগা হয় যদি মিছা কথা কিবা।
ততোধিক মৰ্ম্মাহত, যত্নৰ প্ৰতিজ্ঞা
ভাগে যদি মোৰ।

ৰাজমাও। ধন্য, ধন্য,
মহাসতী জ্ঞানৱতী জয়া!! (প্ৰহৰীৰ প্ৰৱেশ)

প্ৰহৰী। বেলা হ'ল ঘূৰিবৰ;
নিবেদোঁ চৰণে।

ৰাজমাও। নহয় পলম আৰু।

প্ৰহৰী। শিৰে ধৰোঁ বাণী। (প্ৰহৰীৰ প্ৰস্থান)

জয়া। বন্দিছোঁ চৰণ মাতৃ, এই শেষ বাৰ।
(সেৱা কৰে)

ৰাজমাও। আশীছোঁ অন্তৰে বাছা।
নহ'বা অধীৰা; এৰা নাই যত্ন মই,
উদ্ধাৰৰ হেতু।

পদ্মা। (উতলা হৈ) সখী, মোৰ ৰাখা প্ৰাণ,
যাওঁ ভেলা ঘূৰি!

জয়া। (ডিঙ্গিত ধৰি কান্দি) নিয়া প্ৰাণ, সখী মোৰ,
নামমাত্ৰ থাকোঁ পৰি মাটি-দেহা মাথো
বাগৰি মাটিত।

ৰাজমাও। নহ'বা উতলা দুয়ে,
বিপদ বঢ়াই। আহোঁ বাছা, হোৱাঁ স্থিৰ,
নকৰিবা খেদ। সহিবা পৃথিৱী হই।
জয়া। সখী মোৰ! (কণ্ঠৰোধ)
পদ্মা। প্ৰাণসখী! (কণ্ঠৰোধ)
(চকু-লো টুকি টুকি ৰাজমাও আৰু পদ্মাৰ প্ৰস্থান)
(জয়মতীৰ মূৰ্চ্ছা)

অঙ্কপাত

চতুৰ্থ অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

নগাপৰ্ব্বতৰ নামনি

(দুটা পাণ বেপাৰী)

১ম বেপাৰী। ধৰম! তোৰ পাণ কি দৰে সলাবি?

২য় বেপাৰী। এৰা, সলাব লাগে এটা দৰত। তেও বুলি, গুছিত একঠা'ক চাউল নাপাম জানো?

১ম বেপাৰী। মই হলে কানিলৈ হে সলাম বুপাই। এই বছৰ আৰু আফুখেতিত হাতকে লগাব নোৱাৰিলোঁ। ল'ৰাটোৰ নৰিয়া, ৰজাৰ ঘৰত দুটাৰ হৈ খাটিব লগা হ'ল। খেতিলৈ আৰু সময় পাওঁ কেতিয়া!

২য় বেঃ। এৰা, নৰিয়াৰ বাবটো এৰিব লাগিছিল।

১ম বেঃ। এ, নকবি, মোৰ কুটুম! আজি-কালি যিহে অইনাই-অধৰমৰ দিন পৰিছে, জীৱন ধৰাই টান হৈছে!

২য় বেঃ। সঁচা কৈছ ককাইটি! গদাকোঁৱৰৰ ঘৈণী আইদেউলৈকে নাচাৰ কিয়? আমি কোন্ কুটা!

(নগাবেশী গদাপাণি লাহে লাহে ওচৰ চাপে)

১ম বেঃ। নকবি, নকবি মোৰ বুপাই! মানুহ গৰাকীৰ বিলাই দেখি পানীত হাঁহ নচৰা হৈছে ঐ!

২য় বেঃ।—ভাল সহিছে হয়! এ গোঁসাই, অতনা শাস্তি! মতা মানুহেও নোৱাৰে স'ব দেও!

গদা।--ক'ত যাব লাগে তহঁতি?

২য় বেঃ।—আমি ভৈয়ামৰ মানুহ মিতা। কিবা-কিবি সলাবলৈ আহিছিলোঁ। যাওঁগৈহে এতিয়া।

১ম বেঃ। এৰা, উঠ্ যাওঁগৈ। বাটতে ৰাতি হ'ব আজি।

গদা।- তুমিখানে কি কথা কৈছিলে এতিয়া?

২য় বেঃ এ, কুসুধিলা মিতা, আমাৰ দেশৰ কথা! সেই গদাপাণি নামেৰে আমাৰ বৰ ভাল কোঁৱৰ এজনা আছিল। তেওঁ ৰজাৰ ভয়ত পলাইছে। পিচে, সিফালে তেওঁৰ ঘৈণী আইদেউ গৰাকীক জেৰেঙা পথাৰত বান্ধি লৈ নথৈ শাস্তি দিছে! তাকে হে কৈছোঁ, বোলোঁ দেখিলে পানীত হাঁহ নচৰা হৈছে, সাতশ-চুকুৰো চকুৰ পানী ওলায়! যাওঁ আমি এতিয়া, মিতা, থাকিবা।

(পাণ-বেপাৰীৰ প্ৰস্থান)

গদা—(অকলে) সপোনত পালোঁ যেন
বাৰ্ত্তা দিঠকৰ, প্ৰিয়া মোৰ অনাথিনী,
ভুঞ্জিছে যন্ত্ৰণা। দেখিছোঁ সপোন আৰু,—
ঘোৰ অত্যাচাৰে গ্ৰাসে যেন পিতৃ ৰাজ্য।
নায়ক হইছে তাৰ, সেই ল'ৰা-ৰজা।
পাষণ্ড, দুৰ্ম্মতি, কুমন্ত্ৰণাৰ বশ পাপী।
লভোক সি ৰাজভোগ, ঈৰ্ষাভাব মোৰ
লেশমাত্ৰ নাই তাত, —নাছিল সমূলি।
কিন্তু হাঁয়, পিতৃৰাজ্য ছাৰখাৰ কৰা
নসহে প্ৰাণত।—নোৱাৰোঁ থাকিব চাই
নিলগে নীৰৱে, ভয়াতুৰ জনৰ প্ৰায়।
দুৰ্ব্বলচিতীয়া ল'ৰা, ৰজা পাতি লই,
দুৰ্ম্মতি মন্ত্ৰীৰ দলে বিষয়া সইতে
পক্ষাপক্ষ দলাদলি ঘটাই ৰাজ্যত,
হুলস্থুল হাহাকাৰ অশান্তি চৌপাশে
ঘটাইছে ৰাজ্যজুৰি! হাটে-বাটে-ঘাটে,
সবাৰুৰে মুখে মাথোঁ অত্যাচাৰ কথা!

দুষ্টৰ দমন আৰু সন্তৰ পালন,
উলটিল ৰাজনীতি আহোম ৰাজ্যত!
অজ্ঞানত ৰতি আৰু জ্ঞানত বিৰক্তি,
পাপৰ উত্থান আৰু পুণ্যৰ পতন,
ৰাজ্যৰ লক্ষণ আজি ইন্দ্ৰ-বঙহৰ!
ধিক্ মোৰ জীৱনত,—ধিক্! ধিক্!! ধিক্!!!
—সহি অত অধৰম, অন্যায় শাসন,
আছোঁহি লুকাই! (মৌন)
অনাথ সন্তান দুটি
পৰিছে মনত আৰু। কাপুৰুষ মই;
দিছোঁ এৰি, নিৰ্ব্বিবাদে পীড়িছে প্ৰিয়াক,
মোৰ হন্তে অবাৱত! ৰাজা এৰি হাঁয়,
অকলে আহিলোঁ, অকলে পৰাণ মোৰ
বঁচাবৰ গুণে! ধিক্ এই জীৱনত,
ধিক্কাৰোঁ শতেক। ধিক্ এই বাহুবল,
ধিক্ আৰু বীৰ নাম লাঞ্ছনাৰ হেতু!
নসহে পৰাণে আৰু প্ৰিয়াৰ যন্ত্ৰণা,
শুনিলোঁ যি বাটৰুৱা বেপাৰীৰ মুখে!
সৈন্যবল হয়মানে যুগুত ইয়াত,
পাকতে প্ৰিয়াক মোৰ বিপদৰপৰা
আহোঁ মুক্ত কৰি।

(বেগেৰে কেইখোজমান যাওঁতে জিন্নুৰে সৈতে ভেঁটাভেঁটি)

জিন্নু।—(উত্ৰাৱলভাৱে) আক্কিতো! তুমি হ'লে ক'তে যাইছে?

গদা।—(ব্যগ্ৰভাৱে) জিন্নু! মই ভৈয়ামত যাম। বৰ ডাঙৰ কাম আছে। মই বাজে বাজে যাওঁ গৈ। তই ঘৰলৈ উলটি যাগৈ। আমাৰ আজক কৰি, মই আকৌ আহিমগৈ, দেই।

জিন্নু।—(বেছি উত্ৰাৱল হৈ) তুমি হলে ক'তে যাব, আমি ভি লগতে যাব। আমি হুলে গৰতে অকলে নবহে। (কান্দো-কান্দো)

গদা।—আও! তই কেনেকৈ যাবি? ভৈয়ামৰ মানুহে তোক কাটিব। ঘৰলৈ যাগৈ জিন্নু!

জিন্নু।—(কান্দি-কান্দি) আমি হলে অকলে নবহে। তুমি লগতে যালে হলে বাল আছে।

গদা।—মই আকৌ ঘূৰিম জিন্নু! ইয়াত মোৰ আৰু বহুত কাম আছে। যাগৈ জিন্নু, ঘৰলৈ যা। মই আহিলোঁ, যাগৈ যা, জিন্নু আহোঁ দেই।

(বেগেৰে গদাৰ প্ৰস্থান)

জিন্নু।—(বিমোৰ হৈ) আক্কিতো! অ-হঃ!—হি গলে গৈ!! আমি হলে অকলে নবহে। আমি ভি তাৰ পাচতে পাচতে যাই টাকিব—

(বাউলী হৈ জিন্নুৱে গদাপাণিৰ পিচে-পিচে লৰ ধৰে)

দ্বিতীয় গৰ্ভাঙ্ক

কলিয়াবৰ,—ৰণকোঁঠ

(বৰগোহাঞি ডাঙৰীয়া, সলালগোহাঞি, জাগিয়াল গোহাঞি, ৰহিয়াল বৰুৱা, বৰা, শইকীয়া, হাজৰিকা ইত্যাদি)

সঃ গোঃ।—ভীষণ বাতৰি অহ!
পৰিছে কাণত আহি, নগৰৰপৰা।
শুনি হিয়া বিদৰিছে হাঁয়!—কবলই
সত যোৱা নাই।

জাঃ গোঃ।—কিনো সি বাতৰি?
কিয় বা বিদৰে হিয়া?

ৰঃ বৰুৱা।—দিয়াচোঁ আভাস,
নিদিয়ঁা যদিহে বাৰু আঁতিগুৰি মাৰি
পূৰ্ণ বিৱৰণ তাৰ।

হাজৰিকা।—সঁচা, উগুল-থুগুল
লাগিছে মনত, কিনো কথা কিনো বাৰ্ত্তা
শুনিবৰ হেতু।

শইকীয়া।—লাগিছে আমাৰো তেনে।

বৰা।—লাগিছে আমাৰো।

বৰ গোঃ ডাঃ।—ডাগতকৈ চৰে দেখোঁ পাত!
ক'বলই ধৰোঁতেই অত অনা-গুণা;
কলে জানো বাঢ়ি যায় আৰু কুঁহিপাত?

ৰাজকাৰ্য্য পিচ কৰি ৰাজে-আলোচনা
আগ কৰা অযুগুত ; এৰাঁ এবে, থোৰাঁ
পাচলই ।
সঃ গোঃ ।—নকলে নামানে প্ৰাণে ;
নেদেখোঁ উপায় !
বঃ গোঃ ডাঃ ।—কোৰাঁ তেন্তে গিৰিসাই ;
নকৰাঁ পলম ।
সঃ গোঃ ।—ডাঙ্গৰীয়া !
উজনিত উত্পাত চৰিছে বিস্তৰ
গদাপাণি কোঁৱৰক লই । আৰু হাঁয়,
জয়মতী নিৰ্য্যাতন কথা !
বঃ গোঃ ডাঃ—জানোঁ আদ্যোপান্ত তাৰ ;
জানোঁ আৰু জয়মতী নিৰ্য্যাতন কথা ।
কিন্তু হাঁয়, নামনিৰ দুৰদশা আজি
দেখোঁ ততোধিক ।
জাঃ গোঃ ।—তথাপি, শুনাচোঁ বাৰু ।
ৰঃ বঃ ।—কোৱাচোঁ চপাই ।
সঃ গোঃ ।—অতনা লাঞ্ছনা হাঁয়,
সহিছে জয়াই ! শুনিলে বিদৰে হিয়া
নসহে পৰাণে ! পানীত নচৰে হাঁহ
দেখি হেনো জয়াৰ যাতনা ! তথাপিতো
দিয়া নাই স্বামীৰ সন্ধান । দেখি সৱে
মানিছে বিস্ময় !
হাজৰিকা ।—শুনোঁতেই লাগিছে বিস্ময় ।
শাইকীয়া ।—আচৰিত !
বৰ গোঃ ডাঃ —নামানে বিস্ময় এই '
পিতৃৰ পৰাণে । ঈশ্বৰৰ অভিপ্ৰেত
কাৰ্য্য সমুদায় ;—দেশৰ মঙ্গল হেতু
জয়মতী বলি বুলি জানিবাঁ নিশ্চয় ।
—হ'ব দেশোদ্ধাৰ ।
সঃ গোঃ—তথাপিতো ডাঙ্গৰীয়া !
বৰ গোঃ ডাঃ ।—এৰাঁ ৰাজকথা ।
হোৰাঁগই সাজু এবে, কালি ৰণলই ।
লালুকসোলাৰপৰা আজমতবাই
ললে দেশ সংগোপনে,—ললে গুৱাহাটী !
নকৰি উদ্ধাৰ মই স্বৰাজ্য আগেয়ে
নধৰোঁ নাভাবোঁ একো আন কাৰ্য্য-চিন্তা ;
আগে দেশ, পাচে ঘৰ-বাৰী । এতেকতে
যোৱাঁহক, যোৱাঁ দিহাদিহি, কৰাঁগই
যুগুতি যি হয় ,—হ'ব লাগে ৰণযাত্ৰা
কালি উসা-পুৱাতেই ।
সকলোটি ।—ভাল, ডাঙ্গৰীয়া !
(বিষয়াসকলৰ দিহাদিহি প্ৰস্থান)
বৰ গোঃ ডাঃ ।—(অকলে) লালুকী লালুকসোলা
নহওঁ নিশ্চয় মই ! আছে দুয়োপাৰি,
আছে মোৰ তীক্ষ্ণ দাঁত, কৰচনি হেতু,
বয়সৰ সীমাতেই আশী বছৰত ।
আছে আৰু বাহুবল চঞ্চল ডেকাৰ ;
দহজন সামৰিব পাৰোঁ অকলই ।
জিনিম যৱন গই সমুখ ৰণত,
নিপাতি যতেকমানে শত্ৰুসেনাগণ,
স্বহাতে বধিম কালি আজমতৰাক ;—
উদ্ধাৰিম দেশ মোৰ কামাখ্যাৰ থান্ !
নতুবা সপিম ৰঙ্গমনে দেহা এই
শত্ৰুৰ হাতত, নোৱাৰোঁ জিনিব যদি
সামান্য যৱনদল ।—জিনিম, জিনিম,
জিনিম যৱন । (উত্ৰাৱল হৈ, নিমিষতে মৌন)
অহ ! যি দেশ উদ্ধাৰ হেতু জয়মতী,—
প্ৰাণাধিকা কন্যা মোৰ,—আজি নাৰীবলি—
সহিছে যি নিৰ্য্যাতন,—যি দেশ কাৰণে,—
সেই দেশ সঁপি দিম শত্ৰুক অবাধে ?—
অসম্ভৱ, অসম্ভৱ, এই জীৱনত ।
(সবেগে প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

ৰজাৰ ভিতৰ-চ'ৰা

(ৰজা, বেজবৰুৱা, ন্যায়সোধা-গোহাঞি-ফুকন, বৰপাত্ৰ গোহাঞি ডাঙ্গৰীয়া)
ৰজা ।—(নৰিয়া-শয্যাত চাটিফুটি) উঃ, আঃ, হাঃ

বেজবৰুৱা।—বিষম বিকাৰ!
সাংঘাতিক বায়ুবৃদ্ধি। আপুনি বঢ়ালে
আগেয়ে নকৰি কাণ, থাকোতে সামান্য।
বৰপাত্ৰ।—নকলে আমাকো কেৱেঁ!
ৰজা।—(উন্মাদ হৈ শয্যাৰপৰা উঠি) অহ, ঘূৰিছে পৃথিৱী!
ঘূৰে ঘৰ গছ লতা দেখিছোঁ যতেক!
(ৰাজমাওৰ প্ৰৱেশ)
ৰাজমাও।—কি হ'ল বাছাৰ হঁায়!
কিয় এনে চাটিফুটি, কিয় দেখে ঘূৰা
স্থিৰ ঘৰ-বাৰী?
বেজবৰুৱা।—বকিছে প্ৰলাপ।
নহ'বাঁ অধীৰা মাও! নাই কোনো ভয়;
হ'ব শীঘ্ৰে উপশম।
ৰজা।—ধৰ্, ধৰ্, ধৰ্, নিয়ে মোক উৰুৱাই!
ন্যায়-ফুকন।—চোবাঁ হেৰা বেজদেৱ, দেখিছোঁ বিষম!
বৰপাত্ৰ।—ৰক্ষা কৰাঁ মহাপ্ৰভু!
পাপৰ নিকাৰ দেখোঁ ভুঞ্জে হাতে হাতে!
ন্যায়-ফুকন।—কি হ'ব উপায়!
ৰাজমাও।—কিবা চাই আছাঁ বেজ!
আতিকে বিষম গতি দেখিছোঁ ল'ৰাৰ!
অতুল ঐশ্বৰ্য্য পাবাঁ মোৰ দান তুমি,
বঁচালে বাছাক।
বেজবৰুৱা।—স্থিৰ হোৱাঁ ৰাজমাও!
নকৰোঁ যত্নৰ ত্ৰুটী, কৰা নাই লেশ
ধনৰ আশাত। চিন্তাৰ বিকাৰ ঘোৰ,
অনুতাপ আৰু, ৰোগৰ কাৰণ মূল।
প্ৰকৃত ঘটনা আৱশ্যক জানিবৰ,
ব্যৱস্থাৰ আগে।
ন্যায়-ফুকন।—জানা তো বৰুৱাদেৱ, চলিত ঘটনা;—
গদাপাণি নিৰুদ্দেশ, সতী জয়মতী
সভাত লাঞ্ছিত আৰু ঘোৰ পীড়নত,
সন্ধান নিদিয়ে দেখি; ৰজা হ'ল ম্লান।
নায়ক প্ৰধান তাৰ। তৰোপৰি শুনা,
বাঢ়িছে আশঙ্কা ঘোৰ গদাপাণিলই,
কাহানি ধৰেহি বুলি, ৰণবলে আহি;—
শুনিছোঁ ৰণৰ সজ্জা হইছে যুগুত
নগা পাহাৰত। এয়ে চিন্তামূল,
আৰু বিকাৰ-কাৰণ।
বেজবৰুৱা।—মানিলোঁ প্ৰত্যেক।
ঔষধ সেৱন, আৰু ভাব পাহৰণ,
উভয় ব্যৱস্থা ধৰি, চলাঁ দিন চাৰি।
ৰজা।—নাই, নাই পৰিত্ৰাণ!
কঁপিছে হৃদয় মোৰ দেখি সমুখত,
যন্ত্ৰণাৰ ঘোৰ ৰূপ, নৰক কুণ্ডৰ!
আচৰিলোঁ মহাপাপ, শাপিছে সতীয়ে,
শাপিছে দিনকে হঁায়, ঘোৰ পীড়নত।
ধৰাঁ ধৰাঁ, মোক নিয়ে কিহে ভুকুৱাই
নৰকৰ ফালে!— (লালকাল দি নিটাল মাৰে)
(আকৌ জঁকি উঠি) ইকি! ছি! ছি! ছি! ছি!
দুৰ্ব্বল চিন্তাত ভাহি, আহে অনুতাপ;
পাহৰায় পূৰ্ব্বভাব মোৰ! ছি! ছি! ছি! ছি!
ভাঙ্গিম প্ৰতিজ্ঞা মোৰ জিভা লুটিয়াই?
পাহৰিছোঁ দামিনীৰ অভিমান কথা?
পাহৰিম আৰু মোৰ প্ৰতিশোধ পণ?
নহব কাচিতো ইটো ৰাজযোগ্য কাজ;
নপৰোঁ পিছলি মই মাজ-মজিয়াত।
টলে যদি হিমাচল নটলিম মই;—
ইমানে হে মান মোৰ এই জীৱনত।
(বেগেৰে প্ৰস্থান)
তুৱৰী। ধৰাঁ ধৰাঁ, আছাঁ কোন, পৰিব ক'বাত।
(পিচে পিচে লৰ ধৰে)
ৰাজমাও।—বাঢ়িছে বিকাৰ হঁায়,
কি হ'ব উপায়!
বেজবৰুৱা।—নহ'বাঁ কাতৰ মাও!
দিছোঁ সজ উপদেশ, পালিবাঁ যতনে;
নিজানত গই ৰোগী লভোক বিশ্ৰাম।
জিৰণিৰ পাচে, দিবাঁ এপালি ঔষধ,
হ'ব উপশম।

ন্যায়-ফুকন।—ময়ো কওঁ ৰাজমাও!
কুঁৱৰীয়ে লব-লাগে শুশ্রূষাৰ ভাৰ।
বৰপাত্র।—যুগুত ব্যৱস্থা ইটি,
নাথাকে বিকাৰ আৰু, এৰিলে চিন্তাই।
বেজবৰুৱা।- নকৰাঁ পলম।
ধৰাঁ গই ৰাজমাও! ব্যৱস্থা যুগুত।
ৰাজমাও।-যাওঁ, যি কৰে ঈশ্বৰে।

(ৰাজমাওৰ প্রস্থান)

বৰপাত্র।—অতি দুৰদশা হায়!
বেজবৰুৱা।—ঘটিল কিমতে?
থাকোঁতে প্রবীণ মন্ত্রী তুমি হেন জন,
কিয় দিলাঁ ডাঙৰীয়া, পাপ-পথ এৰি?
ন্যায়-ফুকন—নক'বাঁ বৰুৱাদেৱ,
সমনীয়া মন্ত্রী হ'ল বিঘিনি আমাৰ।
ধৰিলোঁ কতনা পন্থা, বুৰাবৰ গুণে,
ৰাজমাও সমন্বিতে লৰিলোঁ বিস্তৰ,
নখণ্ডিল তথাপিতো, বিধিৰ লিখন,
—মুঘূৰিল ৰজা!
বেজবৰুৱা।—সর্ব্বদোষ আৰোপণ নকৰাঁ ৰজাত,
কুমন্ত্রী অৱশ্যে হ'ব পাপৰ গৰাকী।
ন্যায় ফুকন।—ধৰিছা স্বৰূপ;
এৰা নাই মহাপাপে কুমন্ত্রীক আজি।
হইছে উন্মত্ত তেওঁ, দিন তিনি-চাৰি,--
ভাবে কিবা, কিবা কয়, প্রলাপ সমূলি।
নাই ক্ষুধা, নাই তৃষ্ণা, নাযায় টোপনি;
দিঠকে সপোন দেখে!
ন্যায়-ফুকন।—আৰ্জ্জিলে ভুঞ্জিব লাগে বিধিৰ বিধান,
ৰজা হই এই ৰীতি নোৱাৰে লঙ্ঘিব।
বেজবৰুৱা।—এৰাঁ পাপ কথা।
ন্যায়-ফুকন।—নাই পুণ্য ক'বলই!
এৰিছে সি পাপ-ৰাজা জয়মতী স'তে।
আছে মাথোঁ, পাপ-তাপ, শোক-দুখ, যত
কুমন্ত্রণাৰ ফল। ল'ৰামতি ল'ৰাৰজা
হাতৰ মুঠিত লই ঘটালে জঞ্জাল;
ৰাজ্য জুৰি বিয়পালে অশান্তিৰ ঢৌ,
ঘাই-মন্ত্রী বাব লই দীঘলা আপই!
ভুঞ্জিছে নিকাৰ তাৰ, ঘোৰ আশঙ্কাত,
গদাপাণি ঘূৰি অহা ভাবি। জানে তেওঁ,
তেওঁতেই প্রথমতে পৰিব আক্রোশ,
পাপৰ প্রায়শ্চিত্ত আৰু কৰিব আদায়,
সেই ভয়ে বিচলিত কৰিছে আপক,
কৰিব বিতত আৰু চাপেমানে কাম
ভয়ঙ্কৰ প্রতিশোধ দিন। দিঠকত
দেখিছে সপোন, ঘোৰ বিভীষিকাময়,
অনুতাপে মাজে মাজে দিছে উতলাই,
প্রলয়ৰ তাপ তাৰ দেহ-মন ব্যাপি।
আৰু যত পাত্র-মন্ত্রী আপৰ ফলীয়া,
সকলোৱে পাব তাৰ যথাযোগ্য ভাগ,
নহ'ব অন্যথা।
বৰপাত্র।-(ত্রাস্তমান হৈ) আমাৰো ভাগত জানো
পৰে কিবা হায়! উঠোঁইক সভাসদ,
যাওঁ ঘৰাঘৰি। লাভ নাই ভাবি আৰু
অতীতৰ কথা।

(দিহাদিহি প্রস্থান)

চতুর্থ গর্ভাঙ্ক

বন্দীশাল

(জয়মতী বন্দী-অৱস্থাত, পালী-পহৰীয়াৰ টোপনি)

জয়া। সহিলোঁ এপথ,
নিতে নৱ শাস্তি যত।
ভাবোঁ নিতে এৰোঁ দেহা সামৰি অপায়;
কিন্তু কিযে আশাধাৰী হুতাশীন প্রাণ,
নোৱাৰে ওলাব বাজ, দেহা-সজা এৰি!
সহিছোঁ যতেকমানে মনৰ বলত;
দেহাই ধৰিছে মাথো শাস্তিৰ বিধান।

(উত্রাবলভাৱে গদাপাণিৰ প্রৱেশ)

গদা।—(জয়মতীক সাবটি ধৰি) কিয় প্রাণেশ্বৰী!
নিদিয়াঁ সন্ধান মোৰ? কিয় অকাৰণ

সহিছাঁ অতনা ক্লেশ। দিওঁ মোকলাই ;
আহাঁ প্ৰিয়া, ঘূৰি যাওঁ নিজ ঘৰলই।
—অকলে জিনিম ৰজা।

(জয়াৰ বান্ধ মোকলাবলৈ ধৰে)

জয়া।—ইকি! প্ৰাণেশ্বৰ।
কিয় পাহৰিলাঁ ?–কিয় ভাঙ্গা আহি মোৰ,
জীৱনৰ মহাব্ৰত পাহৰি উদ্দেশ্য ?
—পাহৰিলাঁ অনুৰোধ? পাহৰিছাঁ আৰু
জীৱনৰ মহাব্ৰত,—দেশোদ্ধাৰ পণ?

গদা।—নকৰাঁ হে প্ৰিয়া মোৰ, নকৰাঁ আক্ষেপ,
পাৰোঁতে দিছোঁহি ধৰা অনুৰোধ ভুলি,
নাভাবিবাঁ কদাচিত।

জয়া।—বুজিছোঁ বিশেষ।
কিন্তু, প্ৰাণনাথ! নবধিবাঁ আজি মোক
নিজ হাতে তুমি, নিদিবাঁ আপুনি ধৰা।
নুডুবাবাঁ ৰসাতলে পিতৃ-ৰাজ্য আৰু।

গদা—কি কৰোঁ উপায়।
শক্তিয়ে এৰিছে মোক এবোঁ কেনেকই ?

জয়া।--দিছোঁ শক্তি প্ৰাণনাথ!
সতীৰ শক্তিৰে তৱ বাঢোক শকতি।
সাধাঁ গই নিজকাৰ্য্য ৰাজপুৰুষৰ,
নেৰিবাঁ কদাপি নাথ, বীৰ-ধৰ্ম্ম তৱ,
ভাৰ্য্যাৰ মায়াত মজি নকৰিবাঁ হেলা,
ৰজাৰ কোঁৱৰ তুমি, ৰাজকাজলই।
নাভাঙ্গিবা নিজে, শান্তি স্থাপনৰ পণ।—
নকৰাঁ পলম আৰু, আঁতৰা ত্বৰিতে,
কাউৰীয়ে দিলে আহি পুৱাৰ জাননী,
উঠিব এতিয়া হাঁয়, পালী-পহৰীয়া।
আঁতৰি বচোঁৱা মোক, কৰিছোঁ কাকুতি,
ৰাখাঁ মোৰ কথা নাথ, শেষ অনুৰোধ।

গদা।—(ক্ষন্তেক নিটাল মাৰি) আঁতৰিলে বাঁচে প্ৰিয়া!
ৰক্ষা পৰে আৰু মোৰ দেশোদ্ধাৰ পণ।"
—ৰাখোঁ অনুৰোধ।

(অনিচ্ছাত এখুজি-দুখুজিকৈ আঁতৰ হয়)

জয়া।—ৰক্ষা কৰাঁ, মহাপ্ৰভো!
—নিয়াঁ নিলগাই।

(বন্দীপালৰ প্ৰৱেশ)

বন্দীপাল।—হেৰ, ধোদ্‌ইত! তহঁতে ইমানপৰলৈ শুই আছ! এতিয়াও একো দিহা হোৱা নাই! শান্তিলৈ বন্দী কেতিয়া নিবিইক ?

১ম প্ৰহৰী।—(খকমকৈ উঠি) এৰা হয়, বেলি উঠিল। খৰ কৰিব হে লাগিল।

২য় প্ৰহৰী।—(লৰালৰিকৈ উঠি) বেলি উঠিল হে বুলিছ, দুপৰ হ'ল! ভাল হৈছে, আজি আৰু কপালত কি আছে কোনে ক'ব ?

বন্দীপাল।–মই হলে তইঁতক হে পেলাই দিম, মোৰ গাত দোষ নাই।

১ম প্ৰহৰী।–(জয়মতীৰ কাষ চাপি) যি কৰে ঈশ্বৰে! হেৰ, ককাইঁত! আহ, খৰ কৰ, দুৱাৰ মেল, উলিয়াওঁ, ধৰ্‌ইক।

বন্দীপাল। পলম নকৰিবি। সিটো বাটেদি পোনাই লৈ যাগৈ। মই বিষয়াক জনাই আহি, পাচতে গৈছোঁ।

(বন্দীপালৰ প্ৰস্থান)

অঙ্কপাত

পঞ্চম অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

জেৰেঙা পথাৰ

(গদাপাণি অকলশৰে)

গদা।–এয়ে সেই শান্তিস্থল।
পীড়িছে প্ৰিয়াক মোৰ বান্ধি ইয়াতেই!
আৰু সেই বন্দীশাল, বিৰতিৰ স্থল;
সজাৰ পখীটি হই থাকে পৰি তাতে,
মনোদুখে প্ৰিয়া! পত্তি বৰ্ত্তমানে হাঁয়,
পত্নীৰ যন্ত্ৰণা নিৰ্ব্বিবাদে আছোঁ চাই;
হোৱা নাই উদ্ধাৰৰ অদ্যাপি উদ্যম!

আবেগত বাঢ়ো আগ, পুহ পিচুৱাও
জীৱনৰ উদ্দেশ্য সুমৰি। আগ-পাচ,
হিতাহিত গুণাগঁথা কৰি, আছোঁ মই
এতিয়াও আত্ম-গোপনত,--পোৱা নাই
পাৰ মই ঘোৰ সমস্যাৰ। তাতে হাঁয়,
প্ৰিয়া-অনুৰোধ সাধ্য নাই এৰাবৰ।
ভাবিব লগীয়া আৰু;- নহয় যদিহে,
উদ্দেশ্য সফল মোৰ, আত্ম-প্ৰকাশত,
নহ'ব পাপীৰ শাস্তি, নহ'ব উদ্ধাৰ
পতিত আহোম-কুল, ইন্দ্ৰ-বংশৰ।
মায়া নাই প্ৰাণলই, কিন্তু, নিদোঁ প্ৰাণ,
তৰ্পণ নকৰোঁমানে পাপীৰ তেজেৰে
প্ৰিয়া-অপমান। প্ৰাণৰ গৰাকী মই
নহওঁ এতিয়া, উছৰ্গিছোঁ প্ৰাণ মোৰ
দেশৰ মঙ্গল হেতু কোন্-কাহানিয়ে,
মৰোঁ বাচোঁ পৰ-ইচ্ছাধীন, নাই মোত
অধিকাৰ তাৰ। ইচ্ছাধীন আজি মই
দেশ-হিতৈষীৰ, চিন্তে যেয়ে দেশ-হিত,
ৰাজ্যৰ উদ্ধাৰ। নাৰাখি প্ৰিয়াৰ কথা,
মাজতে বিঘিনি হোৱা নহ'ব উচিত,
নহ'ব উচিত আৰু নমোৱা প্ৰিয়াক
উচ্চব্ৰত একৰাই। আছে বাহুবল,
লাগে মনোবল মোক ই হেন সময়। (মৌন)
তথাপি, নামানে প্ৰাণে!-যাওঁ ঘৰিবাৰ,
চাই আহোঁ প্ৰিয়া।

(প্ৰস্থান)

(চাউডাংবৰ্গৰ প্ৰৱেশ)

১ম চাউডাং।—ইয়ে! ক'তা, আজি দেখোন এতে-পৰলৈকে নাই?

৩য় চাউডাং।—এৰা, আজি কিবা এটা হৈছে দেহ!

(জয়মতীক লৈ বন্দীপাল আৰু প্ৰহৰীৰ প্ৰৱেশ)

২য় চাউডাং।—হেৰ কটাৰোঁৱাইত, বহুত দিন জীৰি, নাম লওঁতেই ওলালিহি!

বন্দীপাল।—খৰ্ কৰ্, বান্ধ্, ধৰ্। মই বিষয়াৰ ওচৰৰ-পৰা আহোঁ। আজি কি শাস্তি দিব লাগিব সুধি আহি কমহি।

(কেইওটাও জয়মতীক খুটাত বান্ধে)

৩য় চাউডাং।—ককাইহঁত, আজি লৰাধপৰাকৈ অহাত বৰ ভাগৰ লাগিছে; আগেয়ে অলপ জিৰাই লওঁ। কি বোল হঁক?

(ছদ্মবেশী গদাপাণিৰ প্ৰৱেশ)

১ম চাউডাং। আগৰ বাৰ আহি নাপাই ঘূৰিপকি কুৰোঁতেই ডপৰ হ'ল। আৰু যি হে টিকাফটা ৰ'দ!

২য় চাউডাং। এৰা, কাৰ দিন কাৰ ৰাতি, বহিবহে লাগিল। বিষয়াক অহা দেখিলেই উঠিমহঁক, কি বোল?

গদা। (জয়মতীৰ কাষ চাপি) আমি দেখি হলে বৰ দুখ পাইছে। মানুহজনী! ঘৰৰ মানুহৰ কথা কৈ দিলে হলে ভাল আছে দেই।

জয়া। -(মনে মনে) কৰে দেখোঁ সৰ্ব্বনাশ!
চাপিছে সঘনে কাষ, প্ৰাণেশ্বৰ মোৰ,
চিনে যদি শত্ৰুপক্ষে কি হ'ব উপায়!
(ফুটাই) ইমৰক ইয়ালই মাতিছে বা কোনে?
গুচি বা নাযায় কিয়? নিদিলোঁ সন্ধান,
স্বামী মোৰ আছে য'ত সোধোঁতে ৰজাই,
ভুঞ্জিলোঁ লাঞ্ছনা আৰু যন্ত্ৰণা অশেষ
প্ৰতিজ্ঞা যি ৰাখোঁ বুলি, নোৱাৰোঁ ভাঙিব
পূৰণৰ মুহূৰ্ত্তত তাক। ভাগে যদি
কিবা ৰূপে, ভাগিব ই হিয়া অকাৰণ,
অতনা সাধনা-ফল, দুখৰ মৰণ।
বন্ধুৰ বুজনি যেন নালাগে মনত,
যাৰ এনে নিকৰুণ চিত, কয় যেয়ে
ই হেন সাধনা অথলে যোৱাৰ কথা!
বতাহে বিতৰি দয়া নিয়ে বাৰ্ত্তা যদি,
দিছোঁ হিয়া উদিয়াই সৰল প্ৰাৰ্থনা
পতিধনলই, ৰাখে যেন কথা মোৰ,
থাকি আত্ম-গোপনত; নাপাহৰে যেন,

কদাপিও জীৱনৰ উদ্দেশ্য মহান্ ;—
এয়ে মোৰ অন্তিমত গোহাৰি প্ৰাণৰ।
(চাউডাংইঁতে জপৰ-জপৰকৈ টোপনিয়ায়)
৩য় চাউডাং। ককাইঁত, বৰণীত মাছে বৰকৈ খুটিছে!
১ম চাউডাং।- এৰা, ভাগৰত চকু মুদাই নিছে, বুপাই!
গদা।—বুজিছে অন্তৰ মোৰ সঙ্কেত প্ৰিয়াৰ।
কিন্তু হাঁয়, এৰি যাওঁ কোন্ সতে থই
প্ৰিয়া মোৰ এনুৱা দশাত! আন হাতে,
অন্তিমৰ অনুৰোধ, এৰাওঁ কিমতে।
বাৰম্বাৰ কয় প্ৰিয়া, টানতো শুভুলোঁ
যেন, মোৰ জীৱনৰ উদ্দেশ্য মহান্।
সাঙুৱা প্ৰিয়াৰ যুক্তি নোৱাৰি খণ্ডাব,
আছোঁ মই অত দিন আত্ম-গোপনত,
জীৱনৰ ব্ৰত মোৰ পালি অন্তৰত।
যি ব্ৰত ৰক্ষাৰ হেতু সহি অত ক্লেশ,
পাইছেহি পাৰ তাৰ পণ্ডিতা প্ৰিয়াই,
কি সতে ভাঙিম তাক পূৰ্ণ হোৱা বেলা!
তথাপি নেৰিছোঁ পণ প্ৰিয়া উদ্ধাৰৰ,
আহোঁগই ততালিকে দল-বল লই,
যতে যিবা পাওঁ। (কেইখোজমান যায়)
(উলটি) অহ, এৰি মোৰ প্ৰিয়া!
উলটি আহিছে মন, নোৱাৰোঁ ভিৰাব ;
নোৱাৰোঁ বঢাব খোজ দেহাভাৰ লই,
প্ৰাণ মোৰ প্ৰিয়া সতে ৰাখি ইয়াতেই!
(ক্ষন্তেক মৌন)
কিন্তু, হাঁয়, জীৱন উদ্দেশ্য পৰে জঁয়!
—নকৰোঁ পলম আৰু, কৰি বৃথা খেদ!
যাওঁ, ঘূৰি আহোঁ গই দলবল লই।
(গদাপাণিৰ সবেগে প্ৰস্থান)
১ম চাউডাং।—হেৰ, উঠচোনইক। চাচোনইক মানুহ
গৰাকীলৈ ; সময় চাপিল যেন পাইছোঁ।
জয়া।—(ঘিণভাৱে চাই) লাগিছে ভাগৰ?
১ম চাউডাং! (আছাৰ খাই পৰি) ঔ, গোঁসাই!
চকু নে জুই ঔ! এওঁ কোনোবা দেৱী ঔ!
মেলি দে, মেলি দে। হেৰ, এতিয়া হলেও মৰিম,
পাচে হলেও মৰিম। মাৰেও মাৰক, কাটেও
কাটক ; এৰি দিওঁইক।
২য় চাউডাং।—খেমা কৰাঁ মাতৃ! চিনা নাই আমি
অভাজনে!
(জয়মতীক মোকলাই দিয়ে)
৩য় চাউডাং।—হেৰ, মোৰ কথাও কবি ঔ ককাই!
মই চাবই পৰা নাই।
জয়া।—ভাগৰিলি নৰখাটি!
পালি দুখ ভালেমান ; নকৰিবি খেদ।
চাপিছে ওচৰ, প্ৰতিজ্ঞা-পূৰণ ক্ষণ ;
এৰিম ই দেহাভাৰ ক্ষন্তেক পাচত। (মৌন)
জানিবাঁ সম্ভাষা মোৰ, দৰ্শক মণ্ডলী!
এৰিবাঁ যতেক দায়, বিদায় কালত ;
হৰিষ্ অন্তৰে যাওঁ পুণ্য ৰাজালই,
পালি মোৰ মহাব্ৰত, ইহ জনমৰ।
পালোঁ দেখা অন্তিমত স্বামীৰ চৰণ ,
জানিছোঁ সজ্ঞানে মোৰ সফল কামনা,—
স্বামী মোৰ আছে নিৰাপদে। নাই আৰু
জীৱনৰ প্ৰবল কামনা ,—আছে মাথোঁ,
সংসাৰত ৰল দুটি পোনা। আশীৰ্ব্বাদ
কৰিছোঁ দুটিক ; দুপৰ-সূৰুয দৰে,
উঠি দুয়োটিয়ে বঢাব গৌৰৱৰাশি
ইন্দ্ৰবংশী ৰজাসকলৰ। নাভাবিবাঁ,
নাই অৰ্থ এই পীড়নৰ। দোষ নাই
পীড়ক ৰজাৰ ; অস্ত্ৰ মাথোঁ তেওঁ হাঁয়,
বিধিৰ হাতত।—আৰু মোত্ কথা নাই।
হৰিষ্ অন্তৰে মাগোঁ, বিদায় সবাকে ,
মাগিছোঁ বিদায় আৰু, ইহ জনমৰ,
স্বা-মী চ-ৰ-ণ-ত। (মূৰ্চ্ছা)
৩য় চাউডাং।—উঠ্ ককাইঁত, আমি কাম সাধিলোঁ!
২য় চাউডাং।—হয়, লোকে নাম ললেই।
১ম চাউডাং।—ললে নে? ৰ জীৱটো খিপ্‌খিপাইছে
দেখোন। এঃ, আকৌ কেৰ্‌মেৰাইছে! হেৰঔ,

নাচাপিবিও, নাচাপিবি। পুৰি নমৰিবি। দহিব, দহিব! চকু চাতমাৰি ধৰিছে! (কেইওটা মাটিত চেপেটাখাই পৰে)

জয়া।—অহ, পোনা লাই—লেচাই সোণাই,
মা-উ-ৰা জীৱন ধৰঁা,—আজি হস্তে দুয়ে!
আঃ—কিয়ে কৰে প্ৰাণ—নোৱাৰি—ওলাব
দেহা—সজ্ঞা—এৰি!—জনম-যাতনা-হায়,
নপৰে মনত;—ম-ৰ-ণ—যাত-না বোধ
লাগি-ছে প-ৰা-ণ ভেজি,—চে-ত নাৰ সতে।
উঃ, অ-স-হন অস-হন যুঁজে—প্ৰা-ণে।
ভয়—হৰ মৃত্যু-মূৰ্ত্তি,—ই-থি-নি—পৰত।
নহলে—জানি ছোঁ,—মৃত্যু পৰি-ত্ৰাণ—পথ।
দু-ৱাৰ ৰ-খী-য়া—কোন্? দিয়ঁা—মো-ক-লা-ই,
দিয়ঁা—মুক্তি—যাওঁ—উৰি; ন-ধ-ৰঁা জ্ঁ-পা-ই
দেহাৰ-দু-ৱা-ৰ আৰু!—নাথ!—এই-যাওঁ,
এ-ই নাও—এই—পা-লোঁ পাৰ!—প্ৰা-ণ-না-থ!
আহোঁ দা-সী—ৰা-খি-সে-ৱা—শ্ৰী-চ-ৰ-ণ-ত।

(মৃত্যু)

সন্মুখত ৰণ-চাপৰিৰ পট-পতন

দ্বিতীয় গৰ্ভাঙ্ক

গুৱাহাটী,—খাৰঘুলি

(নেপথ্যত ৰণোল্লাহ, হিলৈ-বৰতোপৰ ধ্বনি)

(তেজেৰে ৰাঙলি হৈ লাইথেপেনা বৰগোহাঞি ডাঙৰীয়া লগৰীয়া বিষয়াবৰ্গৰে সৈতে উত্ৰাৱলভাৱে প্ৰৱেশ।)

সলাল গোহাঞি।—ধন্য ডাঙৰীয়া!
ধন্য তৱ বাহুবল, ধন্য বীৰতেজ,
ধন্য ৰণ-ৰীতি-বুদ্ধি!

জাগিয়াল গোহাঞি।—নেদেখি আছিলোঁ,
অহ, অতকাল এনুৱা বীৰত্ব। ভাগ্যে
আজি দেখিলোঁ সাক্ষাতে।

ৰহিয়াল বৰুৱা।—শুনিছিলোঁ লোকমুখে
ডাঙৰীয়া ৰণজয় বুলি; পালোঁ আজি
প্ৰত্যক্ষ প্ৰমাণ।

বৰগোহাঞি ডাঙৰীয়া।—নহওঁ শলাগভাগী
অকলই মই; তোমাসৱ অবিহনে,
আজিৰ ৰণত, জয়লাভ আমাসাৰ
নাছিল সম্ভৱ, এনে অনতিপলমে।
—ধন্য তোমাসৱ!

সঃ গোঃ।—জানিলে যৱনে আজি
অসমীয়া বীৰতেজ তপত কিমান,
—কি যে বাহুবল।

জাঃ গোঃ।—মানিলে অসম বুলি
বীৰ ডাঙৰীয়া।

বৰ গোঃ ডাঃ।—বিপক্ষী যদ্যপি,
শলাগোঁ বীৰত্ব মই আজমতৰাৰ,
যুঁজিলে সি বীৰবৰে অমিততেজেৰে
যদৰধি ৰণবল নপৰিল ক্ষয়।
মিলিছিল আজি মোৰ মনৰ জোখাৰ
সমান যুঁজাৰু এটি!

সঃ গোঃ।—তথাপিতো নোৱাৰিলে
ঠাৰৰিব তেওঁ; নহটিল ডাঙৰীয়া
এপদো ৰণত।

ৰঃ বঃ।—ছঁয়া জুখি গছ জোখা
প্ৰচলিত ধাৰা ধৰি বুজঁা এবে, কেনে
বীৰ ডাঙৰীয়া!

বৰ গোঃ ডাঃ।—এৰঁা ইমানতে
আত্মগৰিমাৰ কথা। আছে আৰু জানা,
সাধিবলগীয়া পণ আতপৰ বহু।
লক্ষ্য মাথোঁ গুৱাহাটী নোহে আমাসাৰ;
আছে আৰু ভাটীলই কামৰূপ সীমা।
যদৰধি গুদ্ধাৰিম সমস্ত অসম,
তদৰধি কৰ্ত্তব্যৰ নপৰিব শেষ।—
অহ, যি ৰাজ্য উদ্ধাৰ অৰ্থে, প্ৰাণাধিকা
কন্যা মোৰ, জয়াই ত্যজিলে দেহা, ঘোৰ
নিৰ্য্যাতন সহি, সেই ৰাজ্য সুকলমে
নকৰোঁ উদ্ধাৰ মানে, জানিবঁা নিশ্চয়,
নাই শেষ কৰ্ত্তব্যৰ।

সঃ গোঃ।—সাজু আছোঁ আমি।
জাঃ গোঃ।—সষ্টম সবাৰো।
বঃ বঃ।—ৰ'ব কোন্ পিচ পৰি
সেই শেষলৈ!
বঃ গোঃ ডাঃ।—দেশপ্ৰেম তোমাসাৰ
শলাগোঁ বিস্তৰ। মিলে যদি সহযোগ
সবাৰো সমানে, পতিত অসম পুনু
উঠিব ত্বৰিতে; অনতিপলমে আৰু
উদিব অদম্য তেজে নাৰী-জাগৰণ
চেতনা স্বৰত,—জয়মতী নিৰ্য্যাতন
সঞ্জীৱনী বাণী হ'ব হৃদি-উদ্গানি।
বাহ্যিক উদ্গতি যেনে,—ৰাজ্যৰ বিস্তাৰ,
আন্তৰিক উৰ্দ্ধগতি সাধিব সিৰূপে
জীৱন্ত নৈতিক বল জয়া-পটন্তৰে;—
ধ্ৰুৱসত্য কথা।
সঃ গোঃ—সুযোগ্যা জীয়াৰী জয়া
যোগ্য জনকৰ!
জাঃ গোঃ।—বীৰজায়া গদাপ্ৰিয়া—
বঃ বঃ।—বীৰ-প্ৰসৱিনী।
বঃ গোঃ ডাঃ।—অহ, দুটি নাতি-কোঁৱৰ,
—লাই-লেচাই—দুটি সিংহৰ পোৱালি—
মাতৃহীন আজি!
সঃ গোঃ।—হৃদয় বিদৰি যায়
আহিলে মনত সেই অযাচিতে অহা
দুৰ্ভাগ্যৰ কথা!
বঃ গোঃ ডাঃ।—নোবোলোঁ দুৰ্ভাগ্য।
উদিব সৌভাগ্য জানোঁ, উঠিব যেতিয়া
সেই সৌভাগী গজালি দুটি, গুৰি যাৰ
দুৰ্ভাগ্য এতিয়া;—আপদে সম্পদ মাতে,
মানিবা ধ্ৰুৰূপ্। উঠন, পতন আৰু
পুনৰ উত্থান সৰ্ব্বতিকালত লগা
অলঙ্ঘ্য সৃষ্টিৰ নীতি। পতিত আহোম-
কুল, ইন্দ্ৰ-বঙহৰ, উঠি পুনৰপি,
হব দীপ্তিমান, দুপৰ-সুৰুয যেন;
পতিত অসম ঘূৰি উধাব কালত
চাবা, জয়যুক্তা হই।
বঃ বঃ। মানিছোঁ প্ৰত্যেক।
'যি লাই বাঢ়িব তাৰ চিন্ দুপতীয়া'
প্ৰত্যক্ষ সৃষ্টি-ৰীতি;—লাই-লেচাই
তাৰ নিভাঁজ চানেকী।
জাঃ গোঃ।—মানিছোঁ ধ্ৰুৰূপ,—
অসম জননী আজি জননী ধৰাৰ
অসমত সতীতীৰ্থ হ'ব প্ৰতিষ্ঠিত
জয়যুক্তা মহাসতী জয়মতী নামে
নোহে অন্যথা ইয়াৰ।
সঃ গোঃ।—নাৰী-জাগৰণ আৰু
অযাচিত ফল তাৰ অৱশ্যে ফলিব:
ধৰ্ম্ম-কৰ্ম্ম হই একেঠাই জিলিকিব
জননী অসম।
বঃ গোঃ ডাঃ।—আলচিছোঁ বহুপৰ
বাজেকথা আমি, আচল কৰ্ত্তব্য ভুলি!
ভাৰ্য্যা-গৃহ, পুত্ৰ-কন্যা, জ্ঞাতি-পৰিয়াল,
সজাতি-সমাজ আৰু সংসাৰ-ভাৱনা,
সমস্তকে পিচ কৰি, স্বদেশ উদ্ধাৰ-
ব্ৰত আগ কৰি আমি আগুৱাব লাগে।
স্বদেশৰ হিতচিন্তা, স্বদেশ উন্নতি।
আমাসাৰ মহাব্ৰত নাসাধি নাভাবোঁ
জানোঁ, অন্য কোনো কথা। আংশিক মাথোন
সাধিছোঁ অদ্যাপি,—উদ্ধাৰিছোঁ গুৱাহাটী;
যাব লাগে ভটিয়াই যৱন ঢক্কাই।—
"কামৰূপ বাজ কৰি নেখেদি নোলটোঁ"
ধৰা প্ৰতিজ্ঞা আমাৰ। যোৱা দিহাদিহি,
আহাঁগই সাজু হই, একে উল্লাহতে;—
ছেগ নাই জিৰাবৰ!

(সকলোৰে দিহাদিহি প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

পৰ্ব্বত-প্ৰান্ত,—নৈ-দাঁতি

(বৈৰাগী পদাপাণি)

বৈৰাগী।—ভ্ৰমিছোঁ বিস্তৰ!
কিবা উদ্দেশ্যত ফুৰোঁ,
নুবুজোঁ আপুনি।—নুবুজোঁ মনৰ গতি।
শূন্য! শূন্য! শূন্য হায়, জগত-সংসাৰ।
(মৌন)

(ভজনগীত গাই গাই এজন তপসীৰ প্ৰৱেশ)

কীৰ্ত্তন

ঝিঁঝিট খাম্বাজ—একতালা

ভজাঁ হে মন নাৰায়ণ অনাদি পাতন কাৰণ।
শঙ্খ-চক্ৰ-গদা-পদ্ম কমল কৰত ধাৰণ ॥
অপাৰ কৰুণা বিতৰি আগে, ব্ৰহ্মাণ্ড পালন একহি ভাগে,
সৃজন পালন নিধন কাৰণ জগত জন তাৰণ ॥
অনন্তশয্যাত জগতস্বামী, লক্ষ্মীপতি হৰি অন্তৰ্য্যামী,
কটাক্ষে অপাৰ অপায খণ্ডন প্ৰমাদ ভয় ভঞ্জন ॥
ব্ৰহ্মা-হৰে বন্দি নপাৰে মন, নিত্যানন্দ জগত-কাৰণ,
নমোঁ নিৰঞ্জন দানৱ গঞ্জন ভকত বাঞ্ছৰ ৰঞ্জন ॥

(ভজনান্তত ক্ষন্তেক নীৰৱে বৈৰাগীলৈ চাই থাকে)

তপসী।—কোন্ তুমি? কিবা অৰ্থে ভ্ৰমিছা ই বেশে?
কিয় বা এনুৰা তৱ উদাস পৰাণ?
বৈৰাগী। ৰজাৰ কোঁৱৰ মই, নাম গদাপাণি,
ভ্ৰমিছোঁ বিৰহী আজি, প্ৰিয়া হেৰুৱাই!
তপসী।—কোন তৱ প্ৰিয়া সিটি?
—হেৰাল কিমতে?
বৈৰাগী।—জয়মতী প্ৰিয়া মোৰ।
পীড়িছিলে ল'ৰা-ৰাজে, পাশৱ পীড়নে,
অৱাৱত মোৰ হন্তে প্ৰিয়া। নেদেখিলোঁ,
ঘূৰি গই উদ্ধাৰৰ হেতু, গ'ল কেনি
প্ৰিয়া মোৰ বান্ধোন এৰাই। ভ্ৰমি বহু
ফুৰিছোঁ বিচাৰি। নাপালে এবাৰ দেখা,
নামানে পৰাণে!

তপসী।—বুজিলোঁ বিকাৰ তৱ।
নহ'বা অধীৰ হেৰা, তুমি মহাবীৰ।
মহাসতী ভাৰ্য্যা তৱ, লইছে জিৰণি,
গোলোকধামত গই!
বৈৰাগী।—নেদেখি নৰয় প্ৰাণ!
তপসী।—ধ্যানত বিচাৰি চোৱা, ক্ষন্তেক নীৰৱে,
পাবা দিব্য জ্যোতি বীৰ, মানিবা প্ৰত্যেক,
সাবিত্ৰী সখীৰ স'তে দেখি তৱ প্ৰিয়া।
বৈৰাগী।—নাজানোঁ ধ্যানৰ বিধি।
নাজানোঁ ব্যৱস্থা আৰু মূৰ্ত্তি-ধাৰণাৰ।
তপসী।—মায়া-চক্ষু মুদি
হ'বা একচিত, তন্ময় ভাৱত তেবে
দেখিবা স্বৰূপ ৰূপ, জ্ঞান-চক্ষু মেলি।
বৈৰাগী। (চক্ষু মুদি) চক্ষু মুদি দেখোঁ কিন্তু,
আন্ধাৰ জগত।
তপসী শুনাঁ, হেৰা বীৰবাহু।
নহয় মানৱী এবে সতী জয়মতী,
নাপায় তেৱাঁক দেখা মায়াযুত নৰে।
নহ'বা উদাস তুমি, নেৰিবা সংসাৰ,
জীৱনৰ মহাব্ৰত নেপেলাবা জয়, -
সাধি তৱ বাকী কাৰ্য্য মৰ্ত্ত্যজগতৰ,
মিলিবা স্বৰ্গত গই মহাসতী স'তে।
পূৰ্ণ হ'ব মনোৰথ, আশীছোঁ তোমাক।

(তপসী প্ৰস্থান, বৈৰাগী তৱধ,
এজন অনুসন্ধান কটকীৰ প্ৰৱেশ)

বৈৰাগী। (ধ্যানচক্ষু মেলি) অহ, আহে মোৰ প্ৰিয়া!
আহা, আহা আহা!
(দুই হাত মেলি আবাহন কৰে)
কটকী।-(মনত) হ'ব পায় এওঁ সেই
বীৰ গদাপাণি।
(ফুটাই) কোন্ তুমি মহাজন?
কি হেতু ভ্ৰমিছা বীৰ, বৈৰাগী বেশেৰে?
বৈৰাগী।—কোন্ তুমি?
কিয় লাগে পৰিচয় মোৰ?

কটকী।—গদা-বন্ধু মই, দেৱ!
আনিছোঁ বাতৰি এটি নগৰৰপৰা।

বৈৰাগী।—নগৰৰপৰা!
কি বাৰ্ত্তা আনিছা তুমি গদাপাণিলই?
ময়ে সেই দুৰ্ভগীয়া, দিয়া মোক বাৰ্ত্তা সেই,
বন্ধুৰ যদিহে হয়।

কটকী।—বন্ধুৰ বাতৰি।
উপদেশ বৰগোহাঞি ডাঙ্গৰীয়াৰ
আনিছোঁ তোমাৰ হেতু।

বৈৰাগী।—কেনে আছে ডাঙ্গৰীয়া?
কিবা উপদেশ?

কটকী।—নিবেদোঁ কুশল।
নিবেদিছোঁ উপদেশ,—হ'ব লাগে গই
নগৰত আগমন তৱ; বিতোপন
মিলিছে সুযোগ এবে।

বৈৰাগী।—নাই প্ৰয়োজন,
নিৰ্বিচাৰোঁ ৰাজভোগ, নামাতোঁ জঞ্জাল!

কটকী।—কিবা কোঁৱা বীৰবৰ!

বৈৰাগী।—নহ'বা বিস্মিত।
নপশোঁ সংসাৰ আৰু, নাই মায়া তাত,
দেখিছোঁ অসাৰ সৱ, প্ৰিয়া-অবিহনে!

কটকী।—অশোভন এনে ভাব
গদাপাণিলই। জন্ম যাৰ সংসাৰত,
স্বদেশ কাৰণে; লক্ষ্য যাৰ দেশোদ্ধাৰ,
দুষ্টৰ দমন আৰু সন্তৰ পালন,—
সেই বীৰবাহু সংসাৰ-বৈৰাগী হোৱা
নহয় শোভন।

বৈৰাগী।—সঁচা, কিন্তু কিনো কম!
লাগিছে উদাস; পৰি গৈছে মন; অস্ত
উছাহ, উদ্যম, প্ৰিয়াৰ বিয়োগ স'তে!

কটকী।—নকৰিবা সি কথা!
নেৰিবা জীৱন-ব্ৰত।
জয়মতী-আত্মদান বৃথা নকৰিবা

বৈৰাগী।—তাকে হে উলটি চাওঁ!
পৰিলে মনত মোৰ জীৱনৰ পণ,—
আত্ম-গোপনৰ যি প্ৰধান কাৰণ,
আৰু অনুৰোধ মোৰ স্বৰ্গীয়া প্ৰিয়াৰ,
পাহৰোঁ সকলো হায়, হওঁ উত্তাৱল
ৰণ-সজ্জা হেতু।

কটকী।—বীৰোচিত মনোভাব।
মিলিছে সুযোগ;—শত্ৰুৰ নায়ক আজি
পৰিছে উভলি; কুটমন্ত্ৰী আৰু ৰজা
উভয়ে উন্মাদ! ৰাজ্যভাৰ চম্ভালিছে
বৰগোহাঞি ডাঙ্গৰীয়াই ঘাইমন্ত্ৰী-
বাব লই এবে।

বৈৰাগী।—সুযোগ অৱশ্যে সঁচা!
কৰা ঘূৰি গই, শিৰোধাৰ্য্য উপদেশ।

কটকী।—ধন্য বীৰবৰ!
মাগিছোঁ বিদায় এবে।

(কটকীৰ প্ৰস্থান)

গদা।—মানিলোঁ প্ৰত্যেক।
সাক্ষী ৰবা চন্দ্ৰ-সূৰ্য্য,
নাই দোষ মোৰ; জ্ঞাতিদ্ৰোহ পাপে যেন
নপৰশে মোক। কৰিলোঁ প্ৰতিজ্ঞা আজি
ধৰ্ম্ম সাক্ষী কৰি,—সতীৰ সন্মান হেতু,—
আপোন কুটুম্ব ৰজা নাশিম আপুনি।
হৱ বহু উৎপাত ৰাজ্যত সম্প্ৰতি।—
বিনাশি কুমন্ত্ৰীদল, নিপাতি পাপীক,
পাপীৰ কঠীয়া মাৰি, আশে-পাশে যত,
শান্তিৰ ৰাজত্ব পুনু কৰিম বিস্তাৰ।
এৰিছে প্ৰিয়াই দেহা, থই সোঁৱৰণী,
ৰব মোৰ জীৱনে-মৰণে; ৰব আৰু
অভগন কীৰ্ত্তিৰাশি। কৰিব অমৰ
মহাসতী প্ৰিয়া "জয়াতীৰ্থস্থান" নামে,
"জয়সাগৰ-দ'ল" স'তে কীৰ্ত্তিচিন্ ৰই।
হ'ব এই শান্তিস্থল মহা শান্তিস্থল,
যুগ-যুগান্তৰ। যাওঁ ঘূৰি কৰোঁগই
যথা আয়োজন। হ'ব লাগে ৰণ-সজ্জা

যথাৰত ৰূপে। নতুবা অকলে গই
পশ্চিম নগৰ,—দিব পাৰে যোগদান
মিত্ৰপক্ষে আহি। প্ৰিয়া-চিন্তা লগে লগে,
দেশ-চিন্তা ললোঁ এবে কৰি সাৰোগত, -
ৰাজ্যৰ উদ্ধাৰ আৰু শত্ৰুৰ বিনাশ
কৰিম ইবাৰ। পূৰ্ণ হ'ব আশা মোৰ,
প্ৰাণৰ বাসনা,- নহলে গদাৰ ভাৰ,—
অত ভাব-ভাৰী। নোৱাৰে সহিব আৰু,
জননী ধৰাই।

(গোৰোহনি মাৰি বেগেৰে প্ৰস্থান)

(গীত গাই গাই দুফালৰপৰা দুগৰাকী অপেস্বৰীৰ প্ৰবেশ)

বেহাগ- আড়া

চলে সতী জয়মতী, দিলেহি কই মহামতি।
নীৰৱে নিৰখোঁ আহা, হ'ব এবে দেখা সতী॥
স্বৰ্গলই গইছেমানে, যোৱা নাই ইদৰে আনে,
আলোকি বিমানপথ ধন্য কৰি প্ৰাণপতি।
স্বৰ্গৰ যতেক সখী, গ'ল যেন উৰি পখী,
নিলেহি আদৰি সৱে পৃথিৱীৰ আৰু এটি॥
আকাশী কটকী গই, কাণে কাণে দিলে কই,
সামৰি সংসাৰ মায়া চলে সতী জয়মতী।
সীতা, সাৱিত্ৰি, দময়ন্তী, বিযুৰীয়া তিনি সতী,
মিলিব এতিয়া যোৱা যোৱা যোৱা হ'ব সতী॥

সামৰণি-পট পতন

গদাধৰ

১। পাতনি

"জয়মতী" উলিয়াই উঠি, আমি আকৌ ৰাইজৰ ওচৰত ভালেমান দিনৰপৰা "গদাধৰ" উলিওৱাৰ সংকল্পেৰে ধৰুৱা আছিলোঁ। সেইবাবে আমি ৰাইজৰপৰা বিস্তৰ সাধনি সহিব লগাও হৈছিল। পিচে, বিবিধ লগৰীয়া চিন্তা আৰু গোটাদিয়েক গুৰুতৰ কাৰ্য্যৰ ভৰত, মূৰ দাঙ্গিবলৈ ছেগ ধৰিব নোৱাৰা হেতুকে, সেই ধাৰ অনতিপলমে শুজিব পৰা নাছিলোঁ, পলম হোৱা বাবে ক্ষমাশীল ৰাইজৰ ওচৰত ত্রুটী মাৰ্জ্জনা মাগিছোঁ।

"গদাধৰ" হাতে লিখা অবস্থাত থাকোতে, আমাৰ সুযোগ্য সমনীয়া বন্ধুবৰ ৺হেমচন্দ্ৰ গোস্বামীদেৱে ভালেমান সজ পৰামৰ্শ দি সহায় কৰিছিল, আৰু নাটকৰ অন্তৰাঙ্গত সন্নিবিষ্ট হোৱা গীতবোৰ ৰচনা কৰোঁতে, আমাৰ অন্যতম সমনীয়া বন্ধু ৺লক্ষ্মীৰাম বৰুৱাদেৱে তাল-মান সুৰ বান্ধি দি, আমাক নথৈ সহায় কৰিছিল। সেইবাবে, আমি সিবিলাক দুইৰো শলাগ লৈছোঁ। ইতি

তেজপুৰ, অসম
২০ আঘোণ, ১৮২৯ শঁক

গ্ৰন্থকাৰ

২। পাতনি

"গদাধৰ"ৰ মূল-ধাৰ শুজি উঠি, আমি ৰাইজৰ ওচৰত আকৌ সুদৰ ধৰুৱা হব লগাত পৰিলোঁ, প্ৰথম তাঙ্গৰণৰ কিতাপ সমুদায় বেচা গৈ অন্ত পৰাত, ভালেমান দিন গুণগ্ৰাহী গ্ৰাহকক "গদাধৰ' যোগাব পৰা নাই। যোৱা বছৰদহেক একেৰাহে আমাৰ ভালেমান পঢ়াশলীয়া কিতাপৰ নতুন নতুন তাঙ্গৰণ উলিয়াব লগীয়া হোৱাত, আৰু তাৰোপৰি খনদিয়েক সৰু বৰ নতুন কিতাপ পুথি প্ৰণয়নত একাগ্ৰপতীয়াকৈ লাগি থকাত, দ্বিতীয় বাৰৰ ধাৰত সুদ লাগিল। এতিয়া, আমাৰ গ্ৰন্থাৱলীৰ এ৹ছাৱা একেলগকৈ উলিয়াবলৈ দিহা লগোৱাৰ সু-ছেগতে, ইয়াৰ নতুন তাঙ্গৰণ অনতিপলমে ৰাইজক শোধাই সুদে মূলে ধাৰ শুজিছোঁ, নিজগুণে গ্ৰহণ কৰে যেন। ইতি

"পদ্মকুটীৰ", তেজপুৰ, অসম
৭ আহিন, ১৮৫৪ শঁক

গ্ৰন্থকাৰ

উছৰ্গা

মোৰ

আজন্ম আদিগুৰু

পৰম পূজনীয়

৺ডাঙৰীয়া ঘিণাৰাম

গোহাঞিবৰুৱা

জন্মদাতা পিতৃদেৱতাৰ

দুখানি চৰণত

অভাজন পুত্ৰৰ

ভক্তিপুষ্পাঞ্জলি

গ্ৰন্থকাৰ

ভাওবিলাক

মতা

চুলিক্‌ফা বা ল'ৰা-ৰজা ... অসমদেশৰ ৰজা।

দীঘলা-বুঢ়াগোহাঞি ডাঙৰীয়া...ঘাই মন্ত্ৰী।

লাইথেপেনা বৰগোহাঞি ডাঙৰীয়া ... মন্ত্ৰী।

লাচমকলা বৰপাত্ৰগোহাঞি ডাঙৰীয়া ... মন্ত্ৰী।

গোপীনাথ গোহাঞি ফুকন ন্যায়সোধা-ফুকন।

গদাপাণি (পাচত গদাধৰসিংহ) তুঙ্গখুঙ্গীয়া ফৈদৰ কোঁৱৰ।

লাই আৰু লেচাই জয়মতী-গদাপাণিৰ পুত্ৰদ্বয়।

বন্দৰ বৰফুকন গুৱাহাটীৰ শাসনকৰ্ত্তা।

লেচাইডাং সলালগোহাঞি দৰঙৰ শাসনকৰ্ত্তা।

পানীফুকন, মৰাণ-বৰুৱা, মজিন্দাৰ-বৰুৱা, বৰা, বিষয়া, শইকীয়া, হাজৰিকা, দূত, দুৱৰী, বন্দীপাল, কটোৱাল, চোৰাংচোৱা, গৰখীয়া, বাটকুৰা, হাটকুৰা, সৈন্য, সেনাপতি, ৰাজপ্ৰতিনিধি, দেওধাই, বাইলুং ইত্যাদি।

মাইকী

ৰাজমাও (আই-কুঁৱৰী) ল'ৰা-ৰজাৰ মাতৃ।

পদ্মাৱতী ৺জয়মতী কুঁৱৰীৰ সখী।

ৰত্নাৱতী সলালগোহাঞিৰ জীয়াৰী।

বৰফুকননী (গদাপাণিৰ বাইদেৱাক) বন্দৰ বৰফুকনৰ ভাৰ্য্যা।

আহিনী ৺জয়মতী কুঁৱৰীৰ লিগিৰী।

লুকী এজনী গাৰোৱনী পোহাৰী।

নাচনী, লিগিৰী গঞানী, অপৰাধিনী ইত্যাদি।

গদাধৰ

(স্বৰ্গদেৱ গদাধৰ সিংহৰ ৰাজ্যাভিষেক নাটক)

আভাস

(দুফালৰপৰা দুগৰাকী গায়িকাৰ প্ৰৱেশ)

গীত

ৰাগিণী দেশ—তাল কাৰ্‌ফা।

মউ পিওঁ পিওঁ কৰে প্ৰাণ ভৰি।
প্ৰেম সুধা সৰে জৰি জৰি॥
কিনো চাৰ্বা শোভা,
জলে পুণ্য প্ৰভা,
বয় শান্তি নই ৰূপে ৰস চৰি।
যাওঁ উটি বুৰি,
চাওঁ উৰি ঘূৰি,
গাথোঁ তৰা-ফুল, নাচোঁ চালি ধৰি॥

(দুইৰো দুফালে প্ৰস্থান)

প্ৰথম অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

ৰজাৰ বৰচৰা

বুঢ়াগোহাঞি।—(হুমুনিয়াহ কাঢ়ি) অসাৰ সংসাৰ।

ন্যায়সোধাফুকন।—কিয় এনে ভাব আপ?
মায়া-সংসাৰত আসক্তি তোমাৰ দেখোঁ
নাই সমতুল!—কিয় বা বিৰাগ আজি?

বৰপাত্ৰগোহাঞি।—ময়ো কওঁ তাকে;
সংসাৰ-প্ৰেমত আপ প্ৰেমিক নায়ক,
বিৰাগৰ নেদেখোঁ কাৰণ।

বুঃ গোঃ।—আটিছে ইমানে আপ!
নেৰেপিৰ্বা আৰু। আচৰিলোঁ মহাপাপ
কু মন্ত্ৰণা ধৰি, অবাবত মহাসতী
পীড়ালোঁ বিস্তৰ। তেজি এই পাপপুৰী,
পুণ্যাত্মা গতিয়া, আলোকে গোলোকধাম
সতীত্ব প্ৰভাৱে।—নৰকতো নাই স্থান
এই পাপীলই।

ৰজা।- আপুনি যে ডুবিলাই, আনকো
ডুবালোঁ। কুমন্ত্ৰণা কাল হ'ল
এই জীৱনৰ। সমুখে নাহিলা তুমি,
হানিলা পিঠিয়ে,- -বিকাৰত প্ৰাণে মোৰ
কৰে ছাটিফুটি। ঘোৰ ৰাজদ্ৰোহী তুমি;
উচিত তোমাক দিয়া তুৰন্তে শালত।
কিন্তু, ফল নাই আৰু সে প্ৰতিবিধানত, -
মৃত্যুৰ পাচত যেনে ঔষধ ব্যৱস্থা।

বুঃ গোঃ।—ক্ষমা কৰা স্বৰ্গদেৱ!

ৰজা।—ক্ষেমে কোনে কাক?
আপুনি নেপাওঁ ক্ষমা। কিমতে ক্ষেমিম
হাঁয়, পাপীয়ে পাপীক।

বঃ গোঃ। নকৰা আৰোপ
সৰ্ব্বদোষ মন্ত্ৰণাত। আপোন বিবেক
দায়ী অৰ্দ্ধেক-অধিক। ধৰ্ম্ম-বুজনিৰ
নাছিল অভাৱ তব, নহল তথাপি
তেতিয়া চেতন লেশ, সুঘূৰিলা তুমি।
বৃথা চিন্তা এতিয়া তোমাৰ, বৃথা আৰু
অৰ্থশূন্য অনুতাপ।

বৰপাত্ৰ।- ভাগ্যত জানোবা
আৰু আছে কিবা লিখা!—নেথাকে নিশ্চিন্তে
শুই সিংহ গদাপাণি।

ৰজা।—নাজানোঁ নিকাৰ
কত লাগিব ভুঞ্জিব!

ৰঃ গোঃ।—ভাগ্যৰ কি দোষ?
আপুনি আপোন কাল চপালাঁ সজ্ঞানে।
আৰ্জ্জিছা যতেক পাপ, ভুঞ্জিবাঁ ততেক,
নিকাৰ নিষ্কৃতি নাই। গতস্য শোচনা আৰু
নাই প্ৰয়োজন, নোৱাৰাঁ জীয়াব মৰা।
অনুতাপে দিয়ে লাভ, দিয়ে সি যেতিয়া
দুনাই নকৰা পাপ মনৰ বান্ধনী।
কিন্তু, ক'তা মনোবল?

ৰজা।—নাই মনোবল।
মাগোঁ বুদ্ধিবল তৱ। তাৰাঁ মন্ত্ৰী! মোক
আসন্ন বিপদপৰা।

ৰঃ গোঃ।—কি শক্তি আমাৰ!
লঙ্ঘিম কিমতে হাঁয়, বিধিৰ বিধান?
লাগিব ভুঞ্জিব ঠিক আৰ্জ্জন যিমান,
এদিনে নহ'ব শেষ, জানিবাঁ ধ্ৰুৱপ।
ধৰ্ম্মকৰ্ম্ম কৰাঁ এবে, নেৰিবাঁ সুযোগ,
জানোবা পুণ্যৰ কণা পোৱাঁ সাধনাত,
পাপৰ লাঘৱ হেতু।

ৰজা।—হতাশ পৰাণ!
নাই আৰু মনোবল, নেপাওঁ জিৰণি।
নেদেখোঁ উপায় একো পাপ খণ্ডনৰ,
আৰ্জ্জিত নিকাৰ আৰু।

বৰপাত্ৰ।—কি আছে উপায়?
কিমতে খণ্ডিব দায়।

বুঃ গোঃ।—নেদেখোঁ উপায়।
পোৰণিত চাটিফুটি কৰে মন-প্ৰাণ
বাঢ়িছে যতেকমানে পাপৰ আন্ধাৰ,
বাঢ়িছে নৰক ভয়।

ৰজা।—মনৰ বিকাৰ
বাঢ়িছে প্ৰবল বেগে, শান্তিৰ পোহৰ
কতো নেদেখোঁ এচাটি!

ৰঃ গোঃ।—কি দিম বুজনি!
তথাপিতো, আছে এক পতিয়ন স্থল;—
অনুতাপ হুমাবৰ ব্যৱস্থা যুগুত।
যি পাপ অৰ্জ্জিলাঁ হই অন্ধ পৰহাতে,
আৰ্জ্জিলে সি পুণ্যভাগ ভাগ্যৱতীলই;
নাশিলে যি নাম তৱ নৰ্কত ডুবাই,
কৰিলে অমৰ সিয়ে, স্বৰ্গীয় প্ৰভাৱে,
নশ্বৰ দেহাত তাপ সহিলে যি সতী,
আৰু এক সংসাৰৰ সাধনা মহান্,
পৱিত্ৰ চানেকি ৰল সতী জীৱনৰ,
ভুঞ্জিবা যদ্যপি বহু আৰ্জ্জিত নিকাৰ,
জলন্ত দৃষ্টান্ত ৰল পাপী তৰিবৰ;
যদিবা পাপৰ ভাগী হ'লাঁ কৰ্ম্মদোষে,
কাৰ্য্যত কাৰণ হ'লাঁ পুণ্য আৰ্জ্জনৰ।
ইমানে বুজনি দিলোঁ, শান্তি লভিবৰ,
ক্ষুদ্ৰ মতি অনুসৰি।

বৰপাত্ৰ।—সাধু উপদেশ।

ৰজা।—লাগিছে মনত,
সাৰুৱা বুজনি তৱ পালিম যতনে।
বিজ্ঞ মন্ত্ৰী প্ৰতি যেন নকৰোঁ অৱজ্ঞা,
আছোঁমানে ৰজা-নামে।

ৰঃ গোঃ।—আৰু ভাবি চাবাঁ,
সাত্বিক ভাবত নাই ৰাজত্ব পদ্ধতি,
তমোভাব লাগে যোগ সৰ্ব্বত্ৰে সমানে,
তেবেসে ৰজাৰ যোগ্য,—নতুবা তপসী।
ধৰিবাঁ উভয় বিধি।

ৰজা।—মানিছোঁ প্ৰত্যেক।

বুঃ গোঃ।—ধৰাঁ যুক্তি সাৰ,
হুভুলিবাঁ আৰু মোৰ পাপ-মন্ত্ৰণাত।
যুগুত সময় এবে যুক্তি কৰিবৰ,
পাত্ৰ-মন্ত্ৰী-সভাসদে মিলি ঘৰে-পৰে।
নাই কিন্তু শক্তি মোৰ স্থিৰে থাকিবৰ!
মাগিছোঁ বিদায় সৰে।

(প্ৰস্থান)

ৰজা।—যোৱাঁ সৰে আজিলই,
যোৱাঁ ঘৰাঘৰি। যাওঁ ময়ো পৰোঁগই,
অশান্তি-শয্যাত! (প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

নগা-পৰ্ব্বতৰ গুহা

গদা।—নিজান গুহাত
অহ, অকলই মই।
অকলে আপোন মনে কৰিছোঁ বিহাৰ,
পাহৰি সংসাৰ-মায়া, পুত্ৰ-পৰিয়াল,
আৰু মোৰ ৰাজ্যচিন্তা, আত্ম-বাহুবল।
তপস্যা সাধন নোহে ব্ৰত জীৱনৰ,
নাছিল সমূলি বৈৰাগী জনৰ ভাব
আদি জীৱনত। আজিও বীৰৰ তেজ
বয় প্ৰতি সিৰে, বীৰভাব বীৰকাজ,
আদৰোঁ আজিও, আজিও জীৱন-ব্ৰত।
তথাপি ই ছদ্মবেশ কিয় আজি মোৰ?
কিয় বা নিজানবাস ভৰ-বয়সত?
জন-প্ৰাণী অসঞ্চাৰ, নাই সমাগম,
চৰাই-চ্‌ৰিকতি আদি নপশে ইঠাই,
চিন্তাশূন্য প্ৰাণ তাৰ,— অতি নিৰমল,
উলাহত নাচি নাচি উৰে। কিন্তু হায়,
চিন্তাৰ বিকাৰে যাৰ দহে মন-প্ৰাণ,
জন-সমাজত যাৰ নাই শান্তি লেশ,
নাই তৃষ্ণা, নাই লিপ্সা গৌৰৱত যাৰ,
সেই দুৰ্ভগীয়া জনে বিচাৰে ইঠাই,
অপাৰ চিন্তাৰ পাৰ পাওঁ বুলি ভাবি।
আতিকে দুৰ্ব্বল আৰু, যদি সি সংসাৰী,
সংসাৰ-ধুমুহা যিটো সহিব নোৱাৰি,
অকলই প্ৰাণ লই বিচাৰে জিৰণি।
তদ্ৰূপ মিলিছে দশা এই জীৱনত।—
মানিলোঁ বিষম ঘাট সংসাৰ-যুঁজত,
আহিলোঁ অনাথ কৰি ভাৰ্য্যা-পুত্ৰ মোৰ,
—বাঘৰ চোঙত সিংহী সিংহৰ পোৱালি।
এৰিলে প্ৰিয়াই দেহা পাপীৰ হাতত,
থাকিলোঁ আগতে চাই! ভঙ্গিলে সাক্ষাতে
অশেষ যন্ত্ৰণা ৰাশি,—নাযায় কথন,—
তথাপি নহল হায়, শক্তি উদ্ধাৰৰ!
অনাথ সন্তান দুটি মাতৃ-বিয়োগত
উন্মাদ হইছে জানো?—বাঢ়িছে কোঢাল
আৰু বন্ধু বিলাপৰ? শক্ৰ-হাঁহিয়াতে
দুগুণে ধ্বনিছে তাক? হিয়াভেদী ভাবে
কঁপাই মেদিনী যেন বাজিছেহি প্ৰাণে,
মৰ্ম্মান্তিক খেদ তাৰ অতি অসহন।
দুৰ্ব্বল হইছে হিয়া, নাই মনোবল,
ধৈৰ্য্যতাই দিছে এৰি বাট! (মৌন)
কিন্তু হায়,
মৌনব্ৰত জীৱনৰ উদ্দেশ্য নহয়,
নোশোভে সি ৰীতি এই কৰ্ম্ম জীৱনত।
কাপুৰুষ মই?—পশুৱত বনচৰ!
প্ৰাণৰ মাঁযাত ধৰিছোঁহি গুপ্তবাস।
ভাবিছোঁ মঙ্গল আজি জন-সমাজৰ,
ক্ষুদ্ৰ প্ৰাণ নিৰাপদে আছে দেখি মোৰ!
ধিক্ এই জীৱনত! ধিক্কাৰোঁ শতেক!
মোৰ সম নৰাধম, পাশৰ পৰাণ,
নাই পৃথিৱীত।—সাধ্বী সতী জয়মতী
প্ৰিয়ভাৰ্য্যা যাৰ, যাৰ হন্তে বীৰজায়া
হ'ল দেহত্যাগী অসহ্য যন্ত্ৰণা সহি,
ৰাখিলে যি কীৰ্ত্তিৰাশি আদৰ্শ সতীৰ,
যাৰ নামে নাৰীবল আজি ধৰণীত,
সেই ভাৰ্য্যা চিন্তা ভুলি, আছোঁ নিজপ্ৰালে,
আত্মচিন্তা কৰি সাৰ! ধিক্ ধিক্ ধিক্!
ধিক্ মোৰ বীৰ নাম, ধিক্ বাহুবল,
ধিক্ আৰু উচ্চ আশা ৰাজপাটলই!—
পাহৰিছোঁ বীৰধৰ্ম্ম আজি? বীৰতেজ
সিৰে মোৰ নবয় এতিয়া? নাই আৰু
সাহ-পিত্, জীৱনৰ উদ্দেশ্য মহান?—
নতুবা, ই ছদ্মবেশ, গুপ্ত গুহাবাস,
কি সতে ধৰিছোঁ আজি? পাহৰিছোঁ আজি
বীৰৰ প্ৰতিজ্ঞা মোৰ, প্ৰতিশোধ লোৱা?—
পীড়িলে যি প্ৰিয়া মোৰ পাশৰ পীড়নে,

নিতে নৱ শাস্তি ঘোৰ যাৰ আদেশত
সহিলে প্ৰিয়াই মোৰ ধৰণী সমানে,
নলও যদ্যপি তাৰ নৰবধী প্ৰাণ,
মুজুৰায় হিয়া মোৰ নিশ্চয় নিশ্চয়।

(আস্ফালন)

নাই মোৰ সৈন্যবল যুদ্ধৰ সমল,
নাই কোনো বন্ধুজন উপদেশ হেতু ;
নুবুজোঁ প্ৰজাৰ মন, নাজানোঁ যতেক
মিত্ৰৰাজ সম্প্ৰদায়,-- কাৰ কিবা মতি।
তথাপি প্ৰতিজ্ঞা মোৰ, যুঁজিম অকলে,
অকলে উভালি যত অপায়-বিঘিনি,
বায়ুবেগে প্ৰবেশিম আপোন নগৰ,-
আক্ৰমি বিক্ৰমে মোৰ লম সিংহাসন। -
অকলই হনু বীৰে দহি লঙ্কাপুৰী,
যিমতে সাধিলে কাম সীতা উদ্ধাৰৰ,
ছদ্মবেশী ভীমসেন, প্ৰদমি যিমতে
দুৰ্দ্দান্ত নৃপতিদল সয়ম্বৰ দিনা,
ৰাখিলে গৌৰৱৰাশি দ্ৰৌপদী সতীৰ,
তদ্ৰূপ মোহাৰি মই সৈন্য সেনাপতি,
গৰাহত লম ৰজা, মন্ত্ৰী-পাৰিষদ,
আৰু যত পাত্ৰ-মন্ত্ৰী বিপক্ষ ভাবৰ।
কৰিম যুগুতি শেষে, প্ৰিয়াৰ গৌৰৱ
পূৰ্ণভাৱে ৰাখিবৰ হেতু, প্ৰতিশ্ৰুত
হলোঁ আজি ধৰ্ম্ম সাক্ষী কৰি। লৰে যদি
হিমাচল, নলৰে বচন মোৰ। আৰু,
ঘটে যদি বিপৰ্য্যয় বিধি-বিপাকত,—
গদা নাম পৃথিৱীত নধৰোঁ নধৰোঁ
সতো, নধৰোঁ নিশ্চয়!

(সবেগে প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

ৰাজমাওৰ টোল

ৰাজমাও।—কি মতে গুচাওঁ দায়
অজ্ঞান পুত্ৰৰ ; পৰিত্ৰাণ লাভ হেতু
আছে কিবা বাট? ইষ্টদেৱ চিন্তা বিনে
নাই অন্য গতি।--

স্তুতি

পাহাড়ী -আড়াঠেকা।

মাগোঁহোঁ কাতৰে প্ৰভো, তোমাৰ সদনে হে।
নেজানি লগালে দায় অবাধ সন্তানে হে॥
নিতে দোষ শতবাৰ, নাই স্তুতি-নতি তাৰ,
নাই যুক্তি, নাই মুক্তি, তব কৃপা বিনে হে।
অজ্ঞানে আচৰে পাপ, জ্ঞানীয়ে খণ্ডায় তাপ,
নিজ গুণে তুষ্ট হই ৰাখিবা চৰণে হে।
ইমানে ভাৰসা কৰি, মাতিছোঁ আপদে পৰি,
ক্ষমা পুত্ৰে, দিয়া শান্তি, শান্তিহীন প্ৰাণে হে॥

(বৰগোহাঞিৰ প্ৰৱেশ)

বঃ গোঃ। প্ৰণামোহোঁ ৰাজমাও!
ৰাজমাও। আহা ডাঙৰীয়া!
ৰইছে আসন পতা, বহা সদ্যহতে।
সমদুখী জন তুমি, যথা সময়ত
দিছা আহি দেখা মোক।
বঃ গোঃ।—সমদুখী মাত্ৰ সাৰ ;
নাই অন্য বল অপায় খণ্ডাব পৰা।
মদাৰৰ ফুলপ্ৰায়, আছোঁ বাব লই।
ৰাজমন্ত্ৰী নামে!
ৰাজমাও।—নহ’বা হতাশ,
তোমাতে সকলো আশা।
নিচিন্তা যদ্যপি তুমি ৰাজ্যৰ মঙ্গল,
ছাৰখাৰ হ’ব দেশ মহা আপদত।
দেখিছা অপায় যত ঘটিছে দিনকে,
দিনকে ৰাজ্যৰ শ্ৰী হইছে মলিন ;
দিনে আৰু অত্যাচাৰ লাগিছে চৰিব,
হাহাকাৰ আৰ্ত্তৰাৱ বাঢ়িছে প্ৰজাৰ!
বঃ গোঃ—বাকী নাই বুজিবৰ ;
বিদৰে ই হিয়া মোৰ ভাবিলে সিবোৰ।
পাহৰিব পৰা নাই জয়মতী কথা,

দহিব লাগিছে হিয়া সেই অগ্নিবাণে।
প্ৰজাৰ দুৰ্গতি, আজ-অত্যাচাৰ আৰু,
সহোঁ কোন্ প্ৰাণে!

ৰাজমাও।—তাতে হে বুলিছোঁ,
মন্ত্ৰী, নহ'বা হতাশ। দিয়াঁ বল পুত্ৰ,
দিয়াঁ মন্ত্ৰণা যুগুত, গুচোক অপায়।
ৰাজাৰ মঙ্গল জানা, নাসাধিলে তুমি,
নাই আৰু সাধিবৰ।

বঃ গোঃ। কি কৰোঁ উপায়!
ব্যৰ্থ আজি মন্ত্ৰ মোৰ, নাই গুণ তাৰ,
নৰজে সি আজি, মাও, ৰাজ-সমাজত।
ঘূৰিছে ৰজাৰ মন পাক-মন্ত্ৰণাত,
বিপৰীত বুজে যত বুজনি আমাৰ।

ৰাজমাও। কৰা তুমি যুক্তি পুত্ৰ,
অতৰ্কিতে ৰাজমন ঘূৰাবৰ হেতু।
পায় যেন দিব্যজ্ঞান তোমাৰ জ্ঞানত।
বাহিৰে একেটা হই লৰা তাৰ মন,
ভিতৰি ঘূৰাবা তাক কাৰ্য্যৰ পাকত,
অভ্যাসত লাহে লাহে লব সজ বাট।
আছে কোন্ হেন জন বুদ্ধিৰ বলত
মন্ত্ৰী, তুমি বিনে?

বঃ গোঃ।—সাৰুৱা বুজনি।
পাওঁ বুলি ছিদ্ৰ কিবা ৰজাৰ মনত
পুত্ৰ ঠাই পাবলই, চান্দিছোঁ সদায়।
কিন্তু মাও! কিনো কম, কুমন্ত্ৰণা জালে
ছাতিলে ৰজাৰ মন! সোমাওঁ কি মতে,
সন্ধি নাই পাবলই!

ৰাজমাও।—যুগুত মন্ত্ৰণা
নেৰিবা তথাপি মন্ত্ৰী। ৰজাৰ মঙ্গল
নিচিন্তা যদ্যপি ঘূৰি, প্ৰজাৰ উদ্ধাৰ
এৰিবা কি মতে? বাঢ়িছে আশঙ্কা নিতে
ৰাজপ্ৰিয়ৰ। ৰসাতলে যাব দেশ,
লুমাব 'অসম' নাম, পুৰণি গৌৰৱ
অকালত যাব মাৰ। হবা দোষভাগী,
যদ্যপি নিৰ্দ্দোষী তুমি মূল-কাৰণত।
কিবা যুক্তি দিম? ভাবি চোৱা যিবা ভাল,
বিজ্ঞ মন্ত্ৰী তুমি।

বঃ গোঃ।- স্বৰূপ কইছা মাও।
বিপদৰ-ধুমুহা আহি চাপিছে ওচৰ,
ধৰিছে সি ৰুদ্ৰৰূপ অনুকূল বা'ত।
নোহে নিৰুদ্দেশ আৰু, গদাপাণি বীৰ,
ঘৰিছেহি নগৰত প্ৰকাশ্য উদ্দেশ্যে,-
জিনিব ৰজাক বোলে, দিব প্ৰতিশোধ
নিজ বাহুবলে।

ৰাজমাও। শুনিছো তদ্ৰূপময়ো।
কিন্তু মন্ত্ৰী, অসংখ্যাত ৰাজসেনামুখে
চাপিছে অকাল বাহু। যদ্যপি সুবীৰ,
তিষ্ঠিব কিমান পৰ। মনৰ বেগত
আহিছে সি উৰি হায়, ধৰা দিবলই।
নেভাবিবা অন্যৰূপ, নকৰা পলম,
যুগুত ব্যৱস্থা কৰি সনোৱা গদাক,
ৰাখাঁ তাৰ প্ৰাণ।

বঃ গোঃ। বিয়াপিছে ৰাজসেনা,
ধৰিছে এদলে পিচ, আগচে সিদলে।
আক্ৰমিছে ঘনে ঘন, ঘটিছে ঘনাই,
নোৱাৰি ৰুধিব গতি প্ৰচণ্ড গদাৰ।
বিষম বিভ্ৰাট এবে, কি কৰোঁ উপায়,
ৰাজমন্ত্ৰী হই কিমতে সহায় কৰোঁ
ৰাজশত্ৰু জনে? তথাপি যি পাৰোঁ দিহা
কৰিছোঁ গুপুতে, দুয়ো পক্ষ ৰক্ষা হেতু।
জনাম যি হয়।

ৰাজমাও।—ধন্য তুমি মন্ত্ৰীবৰ!
শলাগোঁ ব্যৱস্থা তব। ভাবা দুয়ো কুল,
দুয়ে ৰক্ষা পৰে যাতে। বাঁচে যদি গদা,
এদিন অৱশ্যে হ'ব ৰাজ্যৰ উদ্ধাৰ,
পৰে যদি ৰক্ষা প্ৰাণে মোৰ ল'ৰা-ৰজা,
ৰক্ষা পৰো মই, তোমাৰ যশস্যা গাই।
ধৰাঁ যুক্তি সাৰ।

বঃ গোঃ।—কৰিম যুগুতি মাও!
শক্তি অনুসৰি। উঠোঁ তেন্তে আজিলই,
মাগিছোঁ বিদায়।

ৰাজমাও।—যোৱা বাৰু, ভাঙৰীয়া!
চাওঁ ময়ো, মুক্তিৰ উপায়,
পাওঁ যদি কিবা।

(দুইৰো দুফালে প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

ফুলনি

পদ্মা।—নোৱাৰোঁ একোতে
পাহৰিব প্ৰাণসখী!
শয়নে, সপোনে, আৰু থাকি ডিঠকত,
কেৱলে সখীৰ ছবি দেখিছোঁ আগত।
অহ, ৰূপে-গুণে মায়া-মমতাৰে কিনো
আদৰ্শ ৰমণী এটি! অতুলনা আৰু
সাধ্বী সতী বীৰজায়া এই পৃথিবীত।
পাতিছিল বিধাতাই কেনে এটি জোৰা
অনুপম জয়া-গদাপাণি! কিয় বাৰু,
অকালে ঘটালে হাঁয়, অযথা বিচ্ছেদ!

(মৌন)

গীত

কানড়া—মিশ্ৰ।

লেখি আকাশৰ ছবি ভাবোঁ বহি বহি
প্ৰাণ-সখী মোৰ গ'ল এৰি॥
আমন্-জিমন্, জোনায় বয়ন্,
দেখি মন মোৰ যায় উৰি।
মাতোঁ ঘনে ঘনে, কান্দোঁ মনে মনে,
ঘূৰি লগ পাওঁ কেনে কৰি।
নেদেখি এতিয়া, বাজে মোৰ হিয়া,
থাকোঁ কিনো মতে প্ৰাণ ধৰি॥

(মৌন)

কিবা ভাব কিবা কথা আহিছে মনত!
উকঙা লাগিছে যেন জগত সংসাৰ!

(কান্দি-কান্দি লাইৰ প্ৰৱেশ)

লাই।—দেখিছিলোঁ দেউতাক,
আৰু' গ'ল গুচি!

পদ্মা।—নেকান্দিবাঁ সোণা মোৰ!
ধুনীয়া পুতলা আনি দিব আহিনীয়ে,
থাকিবাঁ উমলি।

লাই। -আনি দিয়া দেউতাক,
নেলাগে পুতলা। আহিছিল কালি ৰাতি,
আৰু' গুচি গ'ল!

পদ্মা।—অবুজ বালক হাঁয়,
কি কৰোঁ উপায়! মাউৰা পোনাটি দেহি,
নেমানে বুজনি।

লাই।—নাহিল দেখোন,
নাহিল আইতা, দেউতাক আনোঁ বুলি
গই?—নাহিল আজিও!

পদ্মা।—ফাটে যেন হিয়া মোৰ!
কি দিম উত্তৰ! নেকান্দিবাঁ লাই সোণ,
নেপায় কান্দিব; বীৰৰ সন্তান তুমি,
নহবাঁ অধীৰ।

লাই।—কাহানি আহিব পিচে?

পদ্মা।—আহিব এদিন।

(লেচাই আৰু আহিনীৰ প্ৰৱেশ)

লেচাই।—(লাইৰ ওচৰলৈ লৰি গৈ) কাইদেও!
চোৱাচোঁ এইটি!

(পুতলা দেখুৱায়)

আহিনী।—(কোঁচৰপৰা আৰু এটি উলিয়াই দি) এয়ে
এটি, চোৱাঁ, বৰসোণে লৰলই; বাঘৰ পোৱালি।

(পুতলা দিয়ে)

লাই।—(অনিচ্ছাত লৈ) পিটিকি ভাঙিম যেন!

পদ্মা।—নেভাঙিবাঁ সোণ!
জুৰবাঁ পৰাণ মোৰ, উমলি ছুটিয়ে।

লেচাই।—আহাঁ যাওঁ, কাইদেও।
যুঁজাম পুতলা।
(লাইৰ তাতত ধৰি টানি লৈ যায়)

পদ্মা।—আহিনী।

আহিনী। আইদেও।

পদ্মা।—কি মোৰ কপাল।

আহিনী।–নমৰি জীয়াই আছোঁ।

পদ্মা।–কান্দিবৰো নাই চল।
দেখিলে উতলা, উতলিব পোনা ছুটি,
ফেঁকুৰিব আহি।

আহিনী। নেমানে আনক দেহি,
সাদৰী সোণাযে।

পদ্মা। ভিতৰি ভাগিছে মোৰ
বিষাদী অন্তৰ। নোৱাৰোঁ সহিব আৰু
সখীৰ বিচ্ছেদ।

আহিনী। কিনো কম আইদেও।
মৰিলোঁহেঁতেন, সলনিত পোৱা হলে
আইদেও মোৰ। বইছোঁ দেহাৰ ভাৰ
আতি টানি মানি।

পদ্মা।—জানোঁ মই ভক্তি তোৰ
সখীলই মোৰ। লিগিৰী কৰ্ত্তব্য আৰু
শলাগিছোঁ তোৰ।

আহিনী।– নমৰিলোঁ তেতিয়াই।
দেখিলোঁ যেতিয়া, আপোন চকুৰে হায়,
আইদেও আধামৰা হোৱা। দেহিঐ,
অতনা যাতনা সুকোমল শৰীৰত,
দিলে কোন সতে।

পদ্মা।—নকৰি আহিনী আৰু।
নেভাঙ্গিবি ভগা বুকু মোৰ। নাই যেন
দেহে প্ৰাণ সেই দিন ধৰি, ভেলা মাথো
ফুৰিছোঁ ওপঙ্গি।

আহিনী।—কিনো কম আইদেও!
মোৰো সেয়ে দশা।

পদ্মা।—নকৰি আহিনী তই,
ভুলিয়াবি যুৰি, সখীৰ কাহিনী অই।

আহিনী। পাৰোঁতে নে হায়।

পদ্মা। নেপাবি বেজাৰ তই।
কিবা বলকিছোঁ, মুৰুছোঁ। আপুনি হায়,
উন্মাদ পৰাণ

আহিনী।– কি দিম উত্তৰ হায়। (পদ্মাৰ ভৰিত পৰে)

পদ্মা। নহবি উতলা।
যাওঁ ব'ল, চাওঁগই, উমলিছে জানোঁ,
অজ্ঞান বালক ছুটি।

(প্ৰস্থান)

পঞ্চম গৰ্ভাঙ্ক

দিখৌ-মুখ

১ম সেনা। –(প্ৰৱেশ) হেৰঔ, কোন আছহঁত সেইতে, আগ বাঢ়, চাপি আহ, পালোঁহি, সেইযা গা দেখা গৈছে।

(প্ৰস্থান)

২য় সেনা। (প্ৰৱেশ) নেৰিবি, ধৰ, গৈছোঁ ভেটি ধৰহঁক।

(প্ৰস্থান)

(গদাপাণিৰ প্ৰৱেশ, পিচে পিচে সেনাদল)

১ম সেনা। গৈ থাওক, নেভেটিবি এথোন। আৰু অলপ আগ বাঢ়ক, ঠেকত পেলাই লওঁগৈ।

২য় সেনা। ভাল কৈছ, এৰা, বৰনৈৰ দাঁতিত পেলাই লওঁগৈ। তেহে ইফালে ভেটি ধৰিবলৈ চল লাগি পৰিব!

গদা।–(উলটি ধৰি) আহ চাপি,
যাবি কোন্ যমপুৰী আজি।

৩য় সেনা।—আইঔ। উলটি ধৰেচোনঔ! হেৰৌ, কোন্ কত আছ, চাপি আহহঁতঔ। আমাক তাকৰীয়াকৈ পাই মহটিয়াই নিব এতিয়া!

২য় সেনা।–ধৰ্ ধৰ্, আগ বাঢ়, নকৰিবি ভয়। আমি পিচতে আছোঁ।

গদা।—অকলই নিপাতিম
শিয়ালৰ দল! চাপি আহ, আছমানে,
জাকে-জাকে আহি।

৩য় সেনা।— হেৰৌ, মোৰ মূৰখোৱাইঁত, কিনো ধৰ্‌ধৰ্‌কৈ আছইঁক, আগ বাঢ়ি নাহ নো কিয়? এটা আগ বাঢ়ি যাচোন, গৰা মাৰি ধৰগৈ। মোৰ এতিয়া—এটা লেঠা দেখিছে!

গদা। -চাপি আহ আৰু,
চাপিছে মৰণ যাৰ।

২য় সেনা। —(৩য় সেনাক ঠেলা মাৰি আগুৱাই দি) তয়ে নো নধৰগৈ কিয়? লোকক যে মাতি থাক।

৩য় সেনা।—(হাম্‌খুৰিখাই পৰি, খৰমাৰি উলটি আহি) ছিঃ! তই কেনে মানুহ অ'! ভাল হেচুকি জুইত পেলাব পাৰ? ঔ আই! নেদেখিছ, চকুদুটা! আইঔ! চাবই নোৱাৰি বুপাই, জলক্-তপক্‌থন লাগি যায়।

গদা।—শহাৰ শহাৰি দেখি
উঠে মোৰ হাঁহি! চিকা মাৰি লগা হ'ল
গোন্ধোৰাব হাত!

২য় সেনা।- হেৰ, চিকাহে হলোঁনেইক! কি চাই থাকিব লাগিছে। আহইক, আটাইবোৰে বেৰি ধৰোঁগৈ। উঃ, বৰ কেৰামতালি কৰে দেখোঁ।

(কেইওটা সেনাই গদাক গৰা মাৰি ধৰেগৈ, গদাৰ বাহুৰ আছাৰত গোটাচেৰেক কৰ্ফাল খাই পৰি মূৰ্চ্ছা যায়, আৰু গোটাচেৰেকে পলাই লৰ মাৰে)

গদা। আছ নে কোনোবা আৰু
চিকাৰ পোৱালি? চাপি আহ, পিও তেজ
সমূহকে ধৰি।

৩য় সেনা।—(মূৰ্চ্ছাৰপৰা উঠি এফলীয়া হৈ) কটা, ইহঁত চিকা হে হয়! চিকাৰ জাকত সোমাই ময়ো চিকা হলোঁ আজি! তথাপি, ধৰি ৰাখিব নোৱাৰিলোঁ কি হ'ল, গাত গা লাগিছিল হে তেও। সিজনীৰ আগত তেও ক'বলৈ হ'ল বাপেকে। উঃ! উশাহটো লওঁ দেও!

গদা।- বেৰিছেহি চউপাশে
ৰাজসেনা দলে, ধৰিবৰ হেতু মোক।
আক্ৰমিলে কতবাৰ,—বিফল যতন—
নোৱাৰিলে কোনো জাকে সহিব বিক্ৰম,
নোৱাৰে তিষ্ঠিব আৰু দুই-চাৰি জাকে।
কিন্তু, এবে অন্য বল, আহিছে অলেখ
সশস্ত্ৰ সেনানীদল। লৰিছে আপুনি।
সেনাপতি এইবাৰ। -নডৰোঁ তথাপি,
সন্মুখে যদ্যপি পাওঁ শত্ৰুপক্ষ লগ;
যুঁজিম প্ৰাণান্তে।

(সেনাপতিৰ সসৈন্যে প্ৰৱেশ)

৩য় সেনা। ধৰইক, এইবেলি আমাৰ দৌতাও পালেহি। ধৰিবই লাগে। গতি লাগি পৰিছে। দৌতা! মই আগ নহলে নহব। ইহঁত কিবা ভেবা মানুহ, পিচ পৰি হে থাকে। (টঙ্গালি আটিবলৈ ধৰে)

সেনাপতি। ইবাৰ পলাবা ক'ত?
চাপি আহা, গদাপাণি, ধৰা দিয়াঁ আহি।
বৃথা চেষ্টা আৰু।

গদা। নপলায় গদাপাণি।
থাকেমানে প্ৰাণ, নিদিম আপুনি ধৰা,
কাপুৰুষ হই।

সেনাপতি। অযথা সাহস কিয়?
অবাবত কিয় দিবা প্ৰাণ? আহা চাপি,
নিৰাপদে যাওঁ লই।

গদা। —যুঁজত এৰিব দেহা,
ক্ষত্ৰিয় ধৰম পালি, ৰজাৰ কোঁৱৰে।
—নোহে অবাবত।

সেনাপতি।—কৰাঁ যিবা বুজাঁ ভাল।
নাই দোষ মোৰ।

(সেনাবিলাকৰ প্ৰতি আদেশ দি আগ বাঢ়ে)

বন্দী কৰ গদাপাণি,
বেৰি ধৰি সৰে। নলগাবি ঘূণ্ গাত
পাৰ্য্যমানে কেৱে।-

(আক্রমণ, যুঁজ, গদাপাণিয়ে সেনাদলক মহটিয়াই গৈ ব্রহ্মপুত্রত জঁাপ দিয়ে)

৩য় সেনা।—ভাল সাৰিল, ভাল সাৰিল। এইবেলি গতি লগাই লৈছিলোঁ। মোৰ কঁকালটো হে দমকা খালে বুপাই। ইস্, ইস, ইস। (বহে)

১ম সেনা। সিপাৰ হ'বগৈ দেও। টোপাকাঁড যোৱাদি গৈছেগৈ। উঃ, আতি টান পালোঁ হয়, বৰহ্মপুত্ৰ হেন নৈত অকণো ভটিওৱা নাই। চাচোনইক চা। (সেনাদলে বেঙা মেলি মেলি চায়)

২য় সেনা। ইঃ কিনো বৰ টান পালি। টানত পৰিলে আমি জানো জঁাপ মাৰি পানীত পৰি সাৰিবলৈ নাচালোঁহেঁতেন?

সেনাপতি। ধন্য বীৰ গদাপাণি।
ধন্য বাহুবল, ধন্য তব বীৰনাম।
ইহেন বীৰৰ সতে নহলোঁ সমুখ,
নেপাতিলোঁ নিজে যুঁজ মই। শুভছেগ
গ'ল পাৰ হই। অতি দুৰদৃষ্ট হায়,
অসম মাতৃৰ, কোলাতে হেৰায় আজি
হেন পুত্র ধন।
(সেনাদলৰ প্ৰতি) কি সাধ্যে ৰাখিবি ধৰি
গদাপাণি বীৰ। অসামান্য বীৰবাহু,
নাই সমতুল।

৩য় সেনা। এৰা, এওঁ কলিৰ ভীম দৌতা ঈশ্বৰ।

(সকলোৰে প্ৰস্থান)

১ম অঙ্কপাত

দ্বিতীয় অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

দৰং-কলিয়াবৰ—সলাল গোহাঞিৰ চ'ৰা

সঃ গোঃ। -শুনা সভাসদ।
আহিছে ৰাজাজ্ঞা আজি,—
হব লাগে সমাপতি ৰাজহৰ কাজ,
পীয়লৰ শেষকাৰ্য্য, আৰু খুট্-খাট্,
জলকৰ, বনকৰ লাগিব শোধাব।
এটা পক্ষ দিছে দিন,—দিন দীঘলাই।

হাজৰিকা।—ভূমিকৰ সমুদায়
হইছে আদায়।

শইকীয়া। জলকৰে বাকী নাই,
হইছে যুগুত।

বৰা। -বনকৰ, খুট খাট্,
বাকী নাই বহু।

হাজৰিকা। -পীয়লৰ কাম কিন্তু,
ক'মান বাকী।

সং গোঃ। -ইতিমধ্যে নহ'ব নে শেষ?

হাজৰিকা। নাই আশা।

সঃ গোঃ।- সৰ্ব্বনাশ তেন্তে দেখোঁ।

বৰা। -কিনো বৰ কথা।
সামান্য বাকীৰ বাবে নধৰে জগৰ।

সঃ গোঃ।- বাকী বা কিমান?

হাজৰিকা। লাগিব এমাহ আৰু।

বৰাগীবেশী গদাপাণিৰ প্ৰৱেশ)

গদা। আশীৰ্ব্বাদ ডাঙৰীয়া,
আৰু সভাসদ।

স. গোঃ। বৰা।

বৰা। ডাঙৰীয়া।

সঃ গোঃ। সোধাচোঁ উদ্দেশ্য কিবা।

বৰা। ভাল ডাঙৰীয়া।
(বৰাগীৰ প্ৰতি) কিবা অৰ্থে আগমন
বৰাগী বাপুৰ? কিবা চোৰা সমিধান?

গদা। বিচাৰোঁ এমুঠি অন্ন,
জিৰণিৰে সতে।

সঃ গোঃ। চিন্তা নাই তাৰ,
তুৰন্তে যুগুত হ'ব।

গদা।—বিচাৰোঁ জিৰণি
ভালেদিন দীঘলাই।

সঃ গোঃ।—নেদেখোঁ আপত্তি।

গদা।—পিচে, ডাঙৰীয়া!

সৰুতে বৰাগী ; নিশিকিলোঁ কাম-কাজ।
অকামিলা এবে মই গৃহস্থী-বনত ;
কিমতে শুজিম ধাৰ ? কিন্তু, নিবিচাৰোঁ
পৰযূৰে-খোৱা-বাস।

শইকীয়া।—গৰখীয়া বাব,
শিকিব নলগা বন ; নিতান্ত নবহে
মন যদি কাম বিনে।

গদা।- যিবা আজ্ঞা হয়।

শইকীয়।—যোৱাঁ তুৰৱী লগত।

গদা।--আশীছোঁ সবাকো।

(গদাক লৈ তুৰৱীৰ প্ৰস্থান)

সঃ গোঃ।--পিচে, হাজৰিকা!

হাজৰিকা। -কিবা কয় ডাঙৰীয়া ?

সঃ গোঃ---কৰা আয়োজন
ৰাজাজ্ঞা পালন হেতু।

হাজৰিকা।- অৱশ্যে কৰিব লাগে।

সঃ গোঃ।--আৰু এটা কথা চাবাঁ ,
প্ৰজাৰ অৱস্থা কথা উচিত জ্ঞাপন,
বিবৰি সংক্ষেপে।

হাজৰিকা।- কৰা যাব তাকো।
পিচে এটা কথা ; -কৰিলানে মন সৰে
বৰাগী জনক ? –সামান্য পুৰুষ বুলি
নুবুজিবাঁ সিজনক , বেলেগ লক্ষণ,
দেখা যায় পুৰুষৰ, মহাজন যেন।

বৰা।--স্বৰূপ ধৰিছাঁ তুমি।

শইকীয়া।---ৰজাৰ লক্ষণ।

সঃ গোঃ। যিবা কি নহোক,
পুৰুষ প্ৰধান তেওঁ। ৰাখিবাঁ যতনে,
কৰিবাঁ সন্মান সৰে , যেনে ভাল পায়
সিদৰে চলিব দিবাঁ। থুলন্তৰ কায়
দেখি, দয়া-ভক্তি হয়!

বৰা। -মঙ্গল কাৰণ
জানো, শুভ আগমন।

সঃ গোঃ।—শুভাশুভ যিবা হয়
দেখিবা কালত। কিন্তু, এবে যাইকাম
ৰাজাজ্ঞা পালন ; যিমতে ৰজাৰ মন
তুষ্ট থাকে সদা, নেৰিবাঁ বিধান তাৰ।
যোৱাঁ ঘৰাঘৰি সৰে কৰ্ত্তব্য সুমৰি।
সভা ভঙ্গ এবে। (প্ৰস্থান

দ্বিতীয় গৰ্ভাঙ্ক

গৰখীয়া-পথাৰ

১ম গঃ।—(প্ৰৱেশ) ইয়েৰা ৰাঙলী, ঘূৰি আহ, নুঘূৰিলি নে ?—ঘূৰ্‌ঘূৰ্। (লৰি প্ৰস্থান)

২য় গঃ। —(প্ৰৱেশ) হেৰৌ, আগছ আগছ। সেই বগা দমৰাটোৰে সাঙোৰ ছিঙি গৈছে। কোন আছ সেইতে, আগছ আগছ। (লৰি প্ৰস্থান)

৩য় গঃ। (প্ৰৱেশ) সও, সও, বুপাই অ, সও।

(চোপনি দি দি প্ৰস্থান)

৪ৰ্থ, গঃ। - (বিচেষ্টা হৈ প্ৰৱেশ) হেৰৌ ককাইহঁত, কেনি গলিহঁকঔ! ঔ, গৰু জাকেই ধাননিত উঠিলগৈ ঔ।--দেখিছা এতিয়া, কাৰো মাত পাবলৈ নাই! মই অকলে কি কৰিম এতিয়া!— নাহে খাওক, ময়ো গুচি যাওঁগৈ। নিয়ক, জাককে খেনালৈ, নিয়ক বাপেকে।

(১ম, ২য়, ৩য়, গৰখীয়াৰ প্ৰৱেশ)

১ম গঃ। -হেৰ, কি হ'ল অ, ভদাই ? দহোন বৰকৈ ডেডাইছ একা ?

৪ৰ্থ গঃ।--কি হ'ল, গৰু জাকেই ধাননিত উঠিলগৈ!

২য় গঃ। -বাৰু, তোক সেইটো দায়ে নেপায় যা।

৩য় গঃ।—এ ভদাই, তই ইফালে আহোঁতেই আমি সিফালে ধাননি পালোঁগৈ নহয়। ধাননিত উঠিবলৈ নৌ পাওঁতেই আমি গৰুজাক ঘূৰালোঁগৈ।

৪ৰ্থ গঃ।—বেচ কৰিলি ককাইহঁত। মই বোলোঁ আজি হে আজি! ইমানকৈ ৰিঙিয়ালোঁ, তেও ঔ নুবুলিলি নহয় ?

২য় গঃ।—আজি তোক ৰজাই পিঙত দিলেহেঁতেন।

৪ৰ্থ গঃ।—আমাৰ যে এতিয়া ৰজাও নাই,—ঐ?

১ম গঃ।—মিছা নহয়। বৰভকত ঢুকাবৰপৰা আমাৰ বৰগৰখীয়া এটা নোহোৱা হ'ল, ইঃ, শকতে-আৰতে মানুহটো এনেহে আছিল পায়। ৰজা হওঁতে গুৱাই পৰিছিল। নহয় নে বাৰু?

৪ৰ্থ গঃ।—ওঁ, তেওঁ থাকোঁতে মই কালৈকো ভয় নকৰিছিলোঁ নহয়।

১ম গঃ। বেচ, বেচ ভাল মনত পৰিছে। কইতক কওঁ কওঁকৈ হে আছিলোঁ। হেৰ, এতিয়া যে গৰখীয়াটো নতুনকৈ লগলাগিছেহি সেইটো আমাৰ ৰজালৈ কেনে হ'ব?

২য় গঃ।—বেচ হ'ব। মোৰ মনেৰে হ'লে বৰভকতত কৈও গুৱাব।

৩য় গঃ।—বেচ কৈছা। মোৰ মনে সৈতে মিলি গৈছে।

৪ৰ্থ গঃ। -বেচ হ'ল, তেনেহ'লে তেওঁকে ৰজা পাতোঁগৈ আহঁহক।

কেইওটাই।—আহঁহক। বেচ, বেচ।

১ম গঃ। -এৰা, বালক, তেওঁ গৰুও ন'গছে, এনেই কিবাকিবি গুণিগাঁথি বহি হে থাকে। ক'বলৈকো বেয়া লাগে, নহয় বাৰু?

২য় গঃ।—নহয়, তেওঁ জপ্ কৰে অ। এতিয়া চাগৈ কদমৰ তলতে বহি আছে। বলহঁক, তালৈকে যাওঁ।

৪ৰ্থ গঃ।—হেঁকাই-তিলিকি যাওঁ। (কাহলতি বাদ্য)

(প্ৰস্থান)

পট সলনি

কদমৰ তল

গদা।—কি আছিলোঁ, কিবা হলোঁ।
পৰিণাম আৰু কিবা আছে হ'বলই।
হেলাৰঙ্গে ল'ৰাকাল কটালোঁ সুখত,
সমনীয়া বন্ধুজনে মানিছিল মোক
বীৰবাহু বুলি। বীৰৰ সন্তান মই।
ভাবিছিলোঁ, যৌৱনত পূৰ্ণ হ'ব কাম, -
লভিম ৰণত জয়, সেনাপতি হই,
অন্তৰত উচ্চ আশা পালিছিলোঁ আৰু,
বাঢ়ে যেন ভাৰতত অসম-গৌৰব,
বাটি দিনে পিতৃৰাজ্য, দূৰ-দূৰণিত -
বাহুবলে মোৰ। কিন্তু হায়, ভাগ্যহীন।
নুপূৰিল আশা, বিপৰীত পালোঁ ফল,
গৰখীয়া-দলে মাৰি, গৰু ৰাখি থাকোঁ,
অকামিলা মই। (মৌন)

(গৰখীয়া দলৰ প্ৰৱেশ)

১ম গঃ। অ ককাই, কি কৰিছা? বোলোঁ, তলৰ মাটি ওপৰ কৰি গুণিছা কি?

গদা। এ, এনেই হে বহি আছোঁ।

২য় গঃ। বেচ ৰজা-বহনেৰে বহিছে দেই।

গদা। এৰা, ৰজা হোৱা হলে জানিবা নৱহেঁ। ৰজা হৈ পৰিবলৈ বিচাৰা।

৩য় গঃ। নহয় দেও, তুমি ৰজা হৈ বহিবৰ হে লায়ক। তোমাক আমি ৰজা পাতি বহুৱাবলৈ হে আহিছোঁ।

গদা। বাৰু বীৰপুৰুষ কেজন। পুৰুষ কেজনে ৰজা পাতিবও পাৰে। ইহঁতে কেতিয়াবা ৰজা পাতি পাইছিল হ'বলা?

১ম গঃ। -কিয়, বৰভকতক আমিয়েই ৰজা পতা নাই যে কি? তেওঁ মৰিল দেখিহে এতিয়া।

গদা। অ, মোৰ বুজাত বেলি হ'ল, গৰখীয়া ৰজা?

৩য় গঃ। এৰা, আকৌ নো কি? তাকেতো কৈছোঁ আমি। কিয়, গৰখীয়া ৰজা জানো ৰজা নহয়?

গদা।—হওঁতে হয়। এক ৰকমে বৰ সুখীয়া ৰজা। পিচে—

১ম গঃ।—পিচে আৰু পিচে। আমি আজিৰপৰা তোমাক ৰজা পাতিলোঁৱেই যোৱা। আহঁহক, চাপি আহ, আমাৰ ৰজাক মলা পিন্ধাওঁহক।

(কেইওটাই মালা পিন্ধায়)

গদা। অহ, কি পবিত্ৰ ভাব!
প্ৰকৃতে কৰিছোঁ বোধ, ৰাজ্য-অভিষেক
প্ৰকৃতি-ৰাজ্যত!

২য় গঃ।– তেনেহলে তুমি আজিৰপৰা আমাৰ ৰজা হৈছা ?

গদা। ওঁ ওঁ, হৈছোঁ বাৰু। ৰজা হৈ নো কি কৰিব লাগে ?

১ম গঃ। --কি কৰিব লাগে ? আমাৰ ৰাজপাটখন খাব লাগে। বলা এতিয়া, গৰখীয়া-দ'লৰ ৰাজভেঁটিত বহুৱাই, সবাহ পাতি, তোমাক সঁচাসঁচিকৈ ৰজা পাতোঁগৈ। উঠাঁ এতিয়া, যাওঁহঁক।

কেইওটাই। উঠাঁ আক'। বলা যাওঁ।

গদা। -(লাহেকৈ উঠি) বাৰু, বলহঁক। ৰজাৰ গা হ'ব নোৱাৰিলোঁ, ছাটোকে হৈ চাওঁগৈ।

(কেইওটাই হাত-ধৰাধৰিকৈ হাত লেজু বান্ধি গদাক মাজত লৈ)

গৰখীয়া গীত

তাল- খেমটা

আজি পাতিম তোমাক ৰজা গৰখীয়া।
বনফুলৰ মালা পিন্ধি হ'বাঁ তুমি ধুনীয়া॥
বৰদ'ল বৰভেঁটি,
দিম তাতে কুশ পাতি,
বিতোপন সিংহাসনে বহিবাঁ যেতিয়া,
বহিম সকলো প্ৰজা আমি গৰখীয়া॥

(প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

ফুলনি

ৰম্ভা। -আহা, কিনো বিতোপন
শোভা ফুলনিৰ। ফুলিছে আপোন মনে
গোলাপ, মালতী, যুতী, সেউতী, তগৰ,
বকুল, বন্দুলী, চঁপা, শেৱালি, নাহৰ,
গুটিমালী, জঁাই আৰু মকুৰা, মধাই,
কেতেকী সইতে সৰে সৌৰভ বিলাই,
কৰিছে আমোল-মোল জগত-সংসাৰ।
—মুগ্ধ যত প্ৰাণী —বিমোহিত নৰ নাৰী।
প্ৰেমিক প্ৰেমিকা আৰু ভাবত বিভোল!
—জগত নিটাল। (ৰ-লাগি থাকে)
অহ, আৰু কিবা ভাব
খেলিছে হিয়াত। কিবা কৰে মন-প্ৰাণ।
উকঙা লাগিছে বুকু, কিবা অভাৱত ?
নুবুজোঁ মনৰ গতি, প্ৰাণৰ ভৰসা।
বসন্তৰ মলযাই ধীৰে ধীৰে ধীৰে
নিছে মন উৰুৱাই, কি জানো কপই।
কান্দিছে পৰাণে সুখে দুখে পূৰ্ণৰাগে
হিয়াৰ তলিত, আপোন ভাবত মজি।
গুপুত বাসনা, গুপুত যাতনা যিবা
নহয় বেকত। (আকৌ ৰ লাগে)
হাঁহিছে পদুম পাহী
নিজনি বিলত, সূৰ্যাৰ জেউতি পাই, -
ঈৰ্ষা কিয় মোৰ ?—তদ্ৰূপ মহিমাময়ী
কিবা এটি জ্যোতি পৰিছে হিয়াত আহি,—
আদি ক'ত তাৰ ?—অন্তৰে পাইছে ধুকি
আতিগুৰি যিবা। কিন্তু হাঁয, গদাপাণি—
বিৰহী বৰাগী।—বৰাগী কদাপি নোহে
প্ৰেম আকলুৱা। গহীন মূৰতি আহা,
ভাবত গধুৰ, দেখাতে সংসাৰী ভাব
নাই শৰীৰত, বিৰহ যন্ত্ৰণা আৰু
বিৰিঙ্গে মুখত। কিয় তেন্তে বাঢে আশা,
প্ৰাণৰ ধাউতি অযাচিতে বই যায়
সিজন উদ্দেশ্যে ? অহ, কিনো কম হাঁয,
অন্তৰ বেদনা।—নীৰৱে বিদৰে হিয়া,
দেখোঁ যেবে মই ম্লান মুখে বীৰবাহু
আত্ম গোপনত। (মৌন)

গীত

ইমন বেহাগ– আড়া

নাই হে নাই উদাস যি প্ৰাণ,
কি আছে তাৰ মোহ মায়া॥
ভোগ-তৃষ্ণা, উল্লাহ বিলাহ,
সকলো হাঁয় মৰুৰ ছাঁয়া।

সংসাৰত থাকে বুলি
নেধাৰে সি প্ৰেম ভুলি,
নেভাবে ক'ত পুত্ৰ-ভাৰ্য্যা
মজে লই আপোন কায়া॥ (মৌন)
(গদাপাণিৰ প্ৰবেশ)

গদা।—নন্দন কানন প্ৰায়
শোভা ফুলনিৰ! অপেস্বৰা কণ্ঠ জিনি
কোন সিটি, গাইছিল সুললিত গীত?
—দেবী নে মানৱী? অহ, যেন প্ৰিয়া মোৰ,
প্ৰিয়-বিৰহিনী, স্বৰ্গ হন্তে নামি আহি,
কৰিছে বিহাৰ এই মৰ্ত্ত্য কাননত।
চাওঁ কোন প্ৰিয়াৰূপী নাৰী অৱতাৰ,
শোভে সমুখত?
(ধীৰে ধীৰে আগ বাঢ়ে)
সুপৰিচিতা সখীৰূপ
কতবাৰ দেখা শুনা এই ফুলনিত।
কিন্তু, মন প্ৰাণ ভিতৰি অধীৰ কিয়?
ছায়া দেখি কায়াভ্ৰম, দিঠক সপোন
দেখিছোঁ আগত।

ৰম্ভা।-ইকি! ভাবিছিলোঁ যাক!
(লাজত তলমুৰ কৰে)

গদা। (মনে মনে) ভঙ্গীত পৰিছে ধৰা।
অন্তৰৰ ভাব, বুজিছে অন্তৰে মোৰ
আন্তৰিক ব্যথা।
(প্ৰকাশ্যে হাঁহি হাঁহি) সৰ্ব্বজান বুলি মোক
মানিবা প্ৰত্যেক, নতুবা ভাবিছা জানি,
আহিম কি মতে?

ৰম্ভা।—সৰ্ব্বজান সঁচাকৈয়ে।

গদা।—সঁচা হলে হায়,
কিয় এই ছদ্মবেশ।

ৰম্ভা।—নকৰিবা খেদ,
পূৰ্ণ হ'ব মনোৰথ।

গদা।—ৰথশূন্য মন!
নোৱাৰি চলিব এবে হইছে অচল।
কেতিয়া পৰেহি আহি শত্ৰু আক্ৰমণ,
গণিছোঁ দিনকে তাক দিনে আঁক পাৰি।

ৰম্ভা চিন্তা নকৰিবা।
চিন্তিম উপায় যিবা,
শক্তি অনুসাৰ, পোৱা যাতে ৰক্ষা তুমি।
ৰাখিবা বিশ্বাস মোত।

গদা। সবল বিশ্বাস
ৰাখিছোঁ তোমাত জানা।
স্বৰূপ চিনাকি নতু নিদিও কাঁচ•।

ৰম্ভা। বুজিছোঁ বিশেষ।
ৰাখিম বিশ্বাস আৰু,
প্ৰাণপণ সদা মোৰ তোমাৰ গুপুত
উদ্দেশ্য সাধন হেতু।

গদা। শলাগোঁ অশেষ।
বন্ধু উপকাৰ বাবে ৰলোঁ চিৰঋণী।

ৰম্ভা। ঈশ্বৰ ইচ্ছাত
ঋণ মুক্ত হোৱাঁ যেন কালে।
যাওঁ এবে, বহুপৰ হ'ল আহিবৰ।

গদা। ঈশ্বৰ ভাৰসা মোৰ।
(দুয়ো দুফালে প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

সলাল গোহাঞিৰ চ'ৰা

হাজৰিকা। জানিছে নে ডাঙ্গৰীয়া!
নগৰৰ বাৰ্ত্তা আজি দুই-তিনি মাহ
অহা নাই একো। অহা নাই অদ্যাপিও
ৰাজ-অনুমতি, আহিব লগীয়া বহু
গুৰু বিষয়ৰ।

সঃ গোঃ।- তাতে হে চিন্তিত ময়ো।
ৰজা, মন্ত্ৰী সৱে পিঠি দি লাগিছে জানো
ৰাজকাৰ্য্য লই, স্বাৰ্থসিদ্ধি সাধনত।
শান্তি নাই নগৰত।

বৰা।—কত নো শুনিবা,

হাটে-বাটে-ঘাটে, মাথো।
অকার্য্য, অধৰ্ম্ম আৰু অত্যাচাৰ কথা।
শইকীয়া।—অবাবত অত্যাচাৰ।
অবাবত হাঁয়, মহাসতী জয়মতী
পীড়িলে বিস্তৰ। নিতে ন-ন শাস্তি দিলে
পূর্ণ পক্ষ দিন, নিঠুৰ পাষণ্ড দলে।
ৰাজলক্ষ্মীসমা সতীয়ে এৰিলে দেহা
পৰিণাম থই।
সঃ গোঃ।—ৰাজলক্ষ্মীস্বৰূপতে
গ'ল ৰাজ্য এৰি। ইন্দ্ৰবংশী ৰাজকুল
পৰিছে মলিন দিনে সিদিনাৰপৰা।
তথাপি নহল হাঁয়, চেতন ৰজাৰ,
চোৱা নাই ঘূৰি, বেৰিছে বিপদে কেনে
ঘোৰ ৰূপ ধৰি!
(ডুৱৰীৰ প্ৰৱেশ)
ডুৱৰী।—ৰাজদূত দুৱাৰত,
দেউতা-ঈশ্বৰ।
সঃ গোঃ।—আন মাতি।
ডুৱৰী।—যিবা আজ্ঞা, দেউতা ঈশ্বৰ।
(প্ৰস্থান)
হাজৰিকা।—কওঁতেই পালে আহি।
বৰা।—পাবহিয়ে লাগে।
(দূতে সৈতে ডুৱৰীৰ পুনঃ প্ৰৱেশ)
দূত। প্ৰণামোঁ দেউতা মই।
সঃ গোঃ। কিবা বাৰ্ত্তা দূত।
ৰাজাজ্ঞা আহিছে কিবা?
দূত।—হইছে দেউতা। (পত্ৰ উলিয়াই দিয়ে)
সঃ গোঃ। (পত্ৰ পঢ়ি চাই) ৰাজ আজ্ঞা শিৰোধাৰ্য্য।
(বৰাৰ প্ৰতি) দূতৰ বিশ্ৰাম হেতু যুগুত বিধান
কৰাঁ সত্তহতে।
বৰা।—ভাল ডাঙৰীয়া।
তুৰন্তে বিধান হ'ব।
(ডুৱৰীৰ প্ৰতি) দূতৰ শুশ্ৰূষা হেতু,
হ'ব লাগে আয়োজন আলহীশালিত।
ডুৱৰী।—হ'ব আয়োজন।
(দূতৰ প্ৰতি) আহাঁ দেও। মোৰে সতে।
(দূতক লৈ ডুৱৰীৰ প্ৰস্থান)
হাজৰিকা।—কিবা বাৰ্ত্তা ডাঙৰীয়া?
সঃ গোঃ। বিষম বতৰা।
শইকীয়া।—লিখিছে বা কিবা?
সঃ গোঃ।— (চিন্তাযুত) লিখিছে শকত কথা।
বৰা। -লাগিল জগৰ কিবা?
সঃ গোঃ। -লাগিব জগৰ,
নোৱাৰিলে ৰাজ-আজ্ঞা কৰিব পালন।
নোৱাৰোঁ পঠাব যদি ধৰি গদাপাণি,
বিষম প্ৰমাদ জানা মিলিব আমাৰ।
হাজৰিকা।—ক'ত পাম গদাপাণি?
সঃ গোঃ।—আহিছে ইফালে।
ৰাজাজ্ঞাত আছে লিখা, ইয়াতে কৌৰৰ
আছেহি লুকাই বুলি। ৰাজসেনা দলে
ধৰিছিল কৌৰৰক দিখৌ-মুখত,
আহিছিল সেনাপতি, নিজে অস্ত্ৰ ধৰি,
নোৱাৰিলে আটকিব বীৰবাহু গদা।
বিনাশি বিস্তৰ সেনা জাঁপিলে নদত,
সাঁতৰি উঠিলে আহি ব্ৰহ্মপুত্ৰ পাৰ।
শইকীয়া। ধন্য বীৰ গদাপাণি।
বৰা। ধন্য বীৰবাহু।
হাজৰিকা। নেযাচিবা ধন্যবাদ,
ৰাজদ্ৰোহী জনে।
সঃ গোঃ।—এৰাঁ বাজে কথা।
যুগুত উপায় এবে কৰাঁ যুক্তি কৰি,
ৰাজাজ্ঞা পালন হেতু!
বৰা।—অৱশ্যে কৰিম।
ধৰিছোঁ মনতে মোৰ, অনুমানী জন,
ক'ব লাগে সময়ত।
শইকীয়া।—মিলিব নে মোৰে?
সঃ গোঃ।—কিবা তৱ অনুমান?
বৰা।—ডাঙৰীয়া!

ল'ব খোজো বৰাগীৰ নাম।
হাজৰিকা।—নলবঁা চপাই পাপ,
বৰাগীক বধি। নির্দ্দোষী পুৰুষ দেহি,
ফুৰে নাম গাই ; নিচিন্তে অহিত কাৰো।
—নল'বঁা সি নাম।
সঃ গোঃ।—নোৱাৰি বুজিব।
উচিত বিচাৰ তাৰ হ'ব সময়ত।
বৰাগী যত্থপি হয় অভিপ্রেত জন,
হাততে ৰইছে বন্দী ; দিব লাগে ধৰি।
নিদিবঁা হুৰিব আগে আড়ম্বৰ কৰি ;
প্রকৃতে সিজন হ'ব পাৰে গদাপাণি।
যোৱঁা এবে ঘৰাঘৰি, ভাবিবঁা গুপুতে।
কালিৰ সভাত হ'ব যুগুত আলচ ;
কৰা যাব যিবা হয়।

(সকলোৰে প্রস্থান)

পঞ্চম গর্ভাঙ্ক

বৰাগীৰ বহা

গদা।—কিভাৱে যাপিছোঁ দিন,
কিবা হলোঁ আজি! ক'ত মোৰ ৰাজ্যচিন্তা,
ক'ত আজি বৰাগী জীৱন! নাই আজি
ৰাজ-সাজ অস্ত্র-শস্ত্র, বীৰৰ আহিলা ;
সলনিত ধৰিছোঁহি বৰাগী টোকাৰি!
যি বাহু ধাৰণ মোৰ শত্রু দলনত,
—গদাঘাত নপৰিলে সুত্ নলাগয়—
সি বাহু বর্ত্তিছে আজি, অৱশ শিথিল,
ভিখাৰী জোলোঙা বই! যি হাতে সততে
ঘূৰাওঁ ভীমৰ গদা, মুঠিত লুকাওঁ
ভলুকাৰ গুৰি, সেই হাতে ধৰোঁ আজি
চেকনী এচাৰি! (মৌন)
অহ, প্রাণেশ্বৰী,
প্রেমৰ পুতলী মোৰ প্রিয়া জয়মতী ;
সংসাৰ বান্ধোন হেতু সোণৰ শিকলি,
গঢ়ি-পিটি বিধাতাই বান্ধিছিল মোক,
সংসাৰত এটি চিত্র ৰাখিবৰ গুণে—
অকালত ছিঙ্গি নিলে একে বিধাতাই,
মেলি বান্ধ অকালত দাম্পত্য প্রেমৰ,
সুদৃঢ় বান্ধোনে যেবে ছিলোঁ বান্ধ খাই।
চিন্ তাৰ মৰা নাই, আছে সঁাচ বান্ধি,
হৃদয়ৰ কেন্দ্র ভেদি কক্ষৰেখা প্রায়।
আৰু হঁায়, কিনো কম, প্রিয়া-গুণ-কথা!—
অদমা বীৰৰ তেজে নচুৱাই মোক,
অকালে অপথে চলাব যেতিয়া ধৰে,
প্রশান্ত সাগৰসমা শান্তিময়ী প্রিয়া
আছিল সাৰথি মোৰ। আছিল সহায়
মন্ত্রণা দানত। আৰু চিন্তিলে যিদিন
বধৰ উপায় মোৰ, ল'ৰা-ৰজাদেৱে,
চিন্তাত বহিল প্রিয়া, উদ্ধাৰৰ হেতু।
কিন্তু হঁায়,—হিয়া মোৰ বিদৰে স্মৰিলে—
মন্ত্রণাত আত্মবলি ৰচিলে প্রিয়াই,
পতিপ্রাণ ৰক্ষাহেতু পতিপ্রাণা সতী!
বীৰতেজে বিচক্ষণা, সাধ্বী সতী জয়া,
হঁাহি হঁাহি স্বর্গযাত্রা কৰিলে মহান্,
তুচ্ছ কৰি পাপীৰ পীড়ন। কিন্তু, ধিক্!
প্রতিজ্ঞা পূৰণ মোৰ নহ'ল অত্থাপি,
নহ'ল তর্পণ আজি পাপীৰ তেজেৰে
প্রিয়া-অপমান মোৰ! (মৌন)
অনাথ সন্তান দুটি
আছে কিবা ভাৱে! কোনে কৰে পতি আজি
বীৰগর্ত্তা জননীৰ বীৰপুত্র দুটি!
সিংহীৰ বিহনে এবে সিংহৰ পোৱালি
অযত্নে মলিন জানো! অযোগ্য পুৰুষ,
নোৱাৰিলোঁ পতি হই, ৰাখিব জীৱনে
পত্নীৰ গৌৰৱ।—বীৰ-প্রসৱিনী প্রিয়া,
পুত্র হস্তে জিলিকিব সতীৰ মাহাত্ম্য,
অমৰ বাঞ্ছিত ফল, ৰব মৰতত।
বঁাচি থাকঁা দুয়ে, জিলিকাবঁা মাতৃনাম ;

ৰাখিলোঁ যত্তপি মই কুলত কলঙ্ক,
কাপুৰুষ হই! (মৌন)
দুৰ্ব্বল চিন্তাৰ এবে নাই প্ৰয়োজন;
নসহে পৰাণে আৰু কাপুৰুষ ৰীতি,
নোশোভে ই ছদ্মবেশ গদাপাণিলই।
নোৱাৰোঁ ৰাখিব ঢাকি, আত্মগোপনত,
বীৰকাজ, বীৰভাব, আকাঙ্ক্ষা বীৰৰ;
নাথাকে লুকাই আৰু সঙ্কল্প প্ৰাণৰ;
নোৱাৰোঁ ভুলিব মোৰ প্ৰকাশ্য প্ৰতিজ্ঞা,
নিৰাশাত উটি।—এৰিম বৰাগী বেশ,
তুৰন্তে পশিম গই ৰাজ-নগৰত।
নিপাতি যতেক শত্ৰু, ভীম আক্ৰমণে,
জিনিম ৰজাক মই; আৰু যতমানে
জিনি বীৰ সেনাপতি, দেখাম জগতে
আজি বাহুবল মোৰ। (উত্তেজিত হৈ উঠে)
(ৰত্নাৱতীৰ প্ৰৱেশ)

ৰত্না।—(এফাঁকি গীত) "কিবা ৰূপ দেখিলোঁ আজি
আজি বৰাগী-বহাত এ ॥" (দোহাৰে)

গদা।—ক্ষমা কৰাঁ ৰত্না আজি;
ৰাপ্ নাই শুনিবৰ মধুৰ সঙ্গীত।

ৰত্না।—ক্ষেমিবাঁ ই দায়।
নকৰো আমনি দেৱ, বাজে যদি কাণে
কৰ্কশ স্বৰত মোৰ!

গদা।—সুবুজিলাঁ ভাব হেৰা!
সুবুজিলাঁ, কিয়নো নালাগে ভাল আজি
সুমধুৰ স্বৰ, তুমি হেন ৰূপহীৰ,
ইথিনি পৰত!

ৰত্না।—ক্ষমা কৰাঁ অপৰাধ;
নহ'ল গণিব ক্ষণ আহোঁতে ওলাই;
—নহ'ল দৈৱজ্ঞ দেখা।

গদা।—নেৰেপিবাঁ আৰু!
সুসুধি কাৰণ যিবা আতুৰ ভাবৰ,
কিয় পাতাঁ ৰোষ তুমি?

ৰত্না।—সুধিছোঁ কাৰণ।
কোৱাঁ বাৰু, কিয় আজি হইছা উতলা?
চৰাৰ বিচাৰ কথা শুনিলা নে কিবা?
—কিৰূপে সম্ভেদ্ পাঁলা?

গদা।—চৰাৰ বিচাৰ!
নাজানো একোকে মই, নাপাওঁ সম্ভেদ্।
আজি মোক অন্য ভাবে কৰিছে উতলা।
পৰিছে মনত হেৰা, উজনিৰ কথা;
লাগিছে ধিক্কাৰ আৰু এই জীৱনত,—
অবাবত আছোঁ ধৰি প্ৰাণ। শত ধিক্
জীৱনত মোৰ! ধিক মোৰ বীৰ নাম,
ধিক্ মোৰ গুণগান, ধিক্ বাহুবল!
দেখিলোঁ চকুৰে নিজে প্ৰিয়া-অপমান;
গাজিছে সঘনে আহি ভগা হৃদয়ত,
অশেষ দুৰ্গতি জানো অনাথ সন্তানে
লাগিছে ভুঞ্জিব দিনে! প্ৰাণৰ উদ্দেশ্য
পৰিছে মলিন আৰু, আত্ম-গোপনত।
নসহে পৰাণে আজি কাপুৰুষ সাজ,
নোৱাৰি ৰাখিব বান্ধি উত্ৰাৱল মন।
যাওঁ মই জিনোঁগই—

ৰত্না।—নহ'বাঁ উতলা।
নেভাঙ্গিবাঁ আত্মবল, বীৰবাহু তুমি।
স্থিৰ হই যুক্তি কৰা পৰিছে সময়।
আহিছিলোঁ ময়ো, বিদায় মাগিম বুলি;—
এৰি এই বহা, যাব লাগে ৰাতিয়েই
স্থানান্তৰে তুমি। নতুবা, পুৱাতে আহি
পাবহি ৰণুৱা, নিবহি আটক কৰি;
ৰাজাজ্ঞা আহিছে কালি।—নাযাবাঁ উজাই,
যাব লাগে ভটীয়াই।

গদা।—নডৰোঁ ৰণুৱা মই।
নিপাতিম অকলেই যতেক যুঁজাৰু,
দেখিবাঁ চকুৰে। নেদেখোঁ বৰাগী বেশ
আৰু ই দেহত।

ৰত্না।—স্থিৰ হই কৰাঁ কাম।
নহলে নিশ্চয় উদ্দেশ্য বিফল তব।

সাজিছে বিস্তৰ সেনা, ৰাজ-আদেশত ;
বাছি বাছি দেউতাই কৰিছে যুগুত।
শুনিলোঁ মন্ত্রণা যত নিজ কাণে আজি।
শুনা মোৰ কথা এবে, এৰাঁ আন ভাব ;—
ৰজাৰ ৰণুৱা সাজি যোৱাঁহি ওলাই,
নেৰিবাঁ ইবেশ তুমি দৰং সীমাত,
তোমাকো এজন যাতে জানে সকলোৱে
ৰজা-সেনা বুলি। আনিছোঁ লগত, ধৰাঁ
এই সেনাসাজ। (সাজ প্রদান)

গদা—শলাগোঁ তোমাক।
কিন্তু ৰম্ভা! কিবা দিম যোগ্য পুৰস্কাৰ ;
নাই মোৰ দিবলই!

ৰম্ভা।—আছে পাবলই।
সাধিম যেতিয়া হয়, এই ঋণ মোৰ।
ৰাখিবাঁ মনত মাথোঁ, কার্য্যসিদ্ধি পাচে,
এটিবাৰ দাসীলই।

গদা।—নুভুলোঁ জীৱনে
তৱ উপকাৰ কথা। পাৰোঁ যেন হ'ব
ঋণমুক্ত সময়ত।

ৰম্ভা।—অনতিপলমে
যোৱাঁ এবে, সত্যহতে ভাটীমুখে,
যত্নৰ উচিত ৰত্ন মিলিব কালত।

গদা।—যাওঁ বাৰু, সত্যহতে
গুৱাহাটীফালে, যুগুত ব্যৱস্থা হেতু!
—আহোঁ হে এতিয়া।

(প্রস্থান)

ৰম্ভা।— (গীত)

ভৈৰবী—কাওৱালী

পাৰোঁতে নো দিওঁ আহি আপুনি বিদায়।
পুলিতে প্রেমৰ পুলি ঢাকনী গুচাই॥
নেভাবিবাঁ প্রিয়ধন, কন্দা নাই মোৰ মন,
নিবিদৰে বুলি হিয়া, হিয়া হেৰুৱাই।
বাঁচি থাকাঁ তুমি মোৰ, নপৰে ই আশা ওৰ,
সম্পদে ল'বহি লগ গুচিলে অপায়।
ভাল পাবাঁ বুলি হায়, ভালপোৱা দিয়া নাই,
যোৱাঁ তুমি, ৰব মোৰ ছবিটি সহায়॥

(মৌন)

ৰম্ভা—যাওঁ হায়, পৰোঁগই
অশান্তি পাটীত।

(প্রস্থান)

ষষ্ঠ গর্ভাঙ্ক

সলাল গোহাঞিৰ চৰা

সঃ গোঃ।—সর্ব্বনাশ হাজৰিকা!
অবাবত আমাসাৰ মিলিল বিপদ।
পঠিওৱা সেনাদল আহিল উলটি,
নেপালে বহাত, নেপালে বিচাৰি ক'তো
ভণ্ড বৰাগীক। পালে সি সন্দেহ্ কিবা ;
পলাল ৰাতিয়ে, এৰি বৰাগী-টোকাৰি,
ভণ্ডামীৰ জোলোঙা সমল। ভুল নাই,
সিয়ে গদাপাণি। নিজ দোষে হেৰুৱালোঁ
ধৰা দিয়া দোষী। ই কথা প্রচাৰ হলে,
শুদাই আমাক এৰিব নে স্বর্গদেৱে,
নেভাঙ্গি বিষয়া ?

হাজৰিকা।—মাত নাই ডাঙ্গৰীয়া!
নেকান্দো বিষয় লই, এৰে যদি প্রাণে।
জানি শুনি বন্দী এৰা, গুৰু অপৰাধ
এৰাম কিমতে? একেই অগনিপ্রায়
জ্বলি আছে ৰজা।

শইকীয়া।—আচৰিত কথা কিন্তু,
কিমতে সন্দেহ্ বাৰু পালে বৰাগীয়ে ?
সিদনা গুপুতে মেল আমি চাৰি জনে
পাতিছিলোঁ নীৰলত ; শুনা নাই আনে
বৰাগীৰ নাম লোৱা আমি। সর্ব্বজান
তেনেহলে বৰাগী ভকত ?—কোৱা নাই
কেৱে যদি তাক।

বৰা।—আমাৰে কোনোবা জনে
কিবা জানি পাতিছিলাঁ কথা? শুনি তাকে

কোনো জনে কৰিলে প্ৰচাৰ? হ'ব পাৰে;—
ভাবি চোৱাঁ তিনে।
সঃ গোঃ।—ভাবিবৰ কাম নাই।
ভাবাঁ এবে কিনোমতে পাওঁ পৰিত্ৰাণ।
দূতৰ হাতত কি বুলি বাতৰি দিওঁ
দূতৰ হাতত কি বুলি বাতৰি দিওঁ
স্বৰ্গদেৱলই?
বৰা।—নহয় শকত কথা।
দিয়া হোক সমিধান, "নেপালোঁ বিচাৰি,
নেপাওঁ সন্ধান ক'তো এই অঞ্চলত,
নাই গদাপাণি।"
হাজৰিকা।—তথাপি নেৰাব দায়।
সেয়ে যদি সমিধান, লুকাবাঁ কিমতে
বৰাগীৰ কথা?
শইকীয়া।— স্বৰূপ ধৰিছাঁ তুমি।
ৰাজ্য জুৰি হুলস্থুল লাগি গৈছে আজি,
ঘৰে-পৰে বাটে-ঘাটে বৰাগীৰ কথা,--
সূৰ্য্যৰ মুখত কোনে শোপা দিব পাৰে?
বতাহে বাতৰি নি যোগাব ৰজাক;
জনৰৱ তুলি।
সঃ গোঃ।—বাঢ়িব জঞ্জাল আৰু।
শইকীয়া।—বাঢ়িব নিশ্চয়। (সকলোটি চিন্তাযুত)
হাজৰিকা।—পৰিছে মনত মোৰ
আৰু এটি কথা। শুনিছিলোঁ নিলগত,
ৰন্তা আইদেৱে আমাৰ গৃহিণী সতে
পাতিছিল কথা; বৰাগী বাতৰি কিবা।
জানেবা সিদ্বয়ে?
সঃ গোঃ।—কি জানিব হেৰা!
হাজৰিকা।—বৰাগীয়ে বীৰসাজে,
উজাই গইছেগই নগৰৰ মুখে।
সিংহাসন লক্ষ্য কৰি, উন্মাদৰ দৰে,
উলটিছে মহাৰঙ্গে ৰাতি। হ'ব পাৰে
সেয়ে গদাপাণি। ভাবনাৰ তেনেহলে
নেদেখোঁ কাৰণ।
সঃ গোঃ।—নেভাবি থাকিব পাৰি,
ঘূৰি গদাপাণি স্বৰূপ গইছে যদি
নগৰৰ মুখে।
হাজৰিকা।—আৰু এটা কথা কওঁ।
আমাৰ জনাব লাগে স্বৰ্গদেৱলই,
গদাই উজাই যোৱা, নগৰ ধিয়াই;
ভাটী ফালে সেনাদল নাই প্ৰয়োজন,
নগৰ ৰক্ষাৰ হেতু নিয়োক চপাই।
কিবা জনি গদাপাণি সসৈন্যে সোমাই
আক্ৰমিব সিংহাসন। আমাৰ সেনাই
এৰিছে সীমাত থই, থাকিব আগছি।
তুষ্ট হ'ব স্বৰ্গদেৱ এনে মন্ত্ৰণাত,
নধৰিব দায়।
বৰা। -শলাগিছোঁ হাজৰিকা!
সঃ গোঃ। নহলে উপায়
নাছিল আমাৰ আৰু!
এৰাঁ এবে আন কথা, বিহিত বিধানে
যাব লাগে নিবেদন দূতৰ হাতত,—
তিনে বহি যুক্তি কৰি, লিখিবাহি কালি।
উঠা হোক আজিলই, যোৱাঁ ঘৰাঘৰি।
(সকলোৰে প্ৰস্থান)

সপ্তম গৰ্ভাঙ্ক

ৰাজ-আলি

১ম হাটকুৰা। -মাৰেও মাৰক, তাৰ পৰিণামে, ওঁ, কাটেও কাটক। সেই বুলি ওৰাজিপ কথা, তাৰ পৰিণামে, নকৈ পাৰোঁ নে?
২য় বাটকুৰা।—এৰা বেচ কৈছ। মাৰিব-কাটিবলৈ নো আৰু কি বাকী থৈছে৷ একেঘাপে কাটি, মাৰি পেলালেও ভাল আকৌ!
১ম হাঃ।—সঁচা মোৰ ককাইটি! কটাতকৈ, তাৰ পৰিণামে, ৰেপাটো হে টান। তাৰ পৰিণামে, নহয় জানো?

২য় হাঃ।—নকবি আৰু মোৰ কুটুম! আজিকালি আৰু ৰজা-মন্ত্ৰীৰ মনৰ বান্ধ নাইকিয়া হ'ল।

১ম হাঃ।—এই দৰে হলে, তাৰ পৰিণামে, দেশ উছন যাব লগা হ'ল! উঃ, তাৰ পৰিণামে, এনে অইনাই!

২য় হাঃ—নেদেখিছ, সিদিনাথনৰ কথা, কিমান অইনাই কামটো কৰিলে। এনাজগৰত সেই দেৱীযেন কুঁৱৰী আইদেউ গৰাকীক লেলাত ভুগ্নাই মাৰিলে বুপাই!

১ম হাঃ।—তাৰ পিচত নো, তাৰ পৰিণামে, ৰজাই কি সৰু পাপবোৰ কৰিছে? গদা কোঁৱৰক, তাৰ পৰিণামে, বিচাৰি নেপাই, তাৰ পৰিণামে, নিচলা প্ৰজাৰ ওপৰত খং সাৰিছে? উঃ উ', বাচ্-বিচাৰ নাই, তাৰ পৰিণামে, ধৰ আৰু মাৰ' এনে অইনাই কথা, তাৰ পৰিণামে, দেখা নাই বুপাও!

২য় হাঃ।—এৰা, নকবি আৰু বুপাই, ৰজাই মুঠে শান্তিকেহে জানিছে।

১ম হাঃ!—ইয়াৰ এটা উপায় নহলে, তাৰ পৰিণামে, দেশান্তৰী হে হ'ব লগা হ'ল। কেনেকৈ, তাৰ পৰিণামে, পৰবতিবি ইয়াত?

২য় হাঃ।—ইয়াৰ উপায় আৰু কোনে কৰিব! ইস্পৰে ৰইখা কৰিলে হে কৰা। নহলে, নিগমে মৰিলোঁইক!

১ম হাঃ।—অঃ, তাৰ পৰিণামে, কিবা এটা নহ'ব বুলিছ নে? ইয়াৰ বাতৰি, তাৰ পৰিণামে, গুৱাহাটী পাইছেগৈ হেনো। বৰগোহাঞি ডাঙৰীয়াই বোলে, তাৰ পৰিণামে, সিফালে কিবা যন্দী পাতিছে। এতিয়া ভাটীৰপৰা, তাৰ পৰিণামে, বৰফুকন ডাঙৰীয়াই বল্‌ দিলেই হয়। নকবি কাৰো আগত, তাৰ পৰিণামে, এইবোৰ কথা। কলে মৰিবি, তাৰ পৰিণামে, আপোনা-আপুনি।

২য় হাঃ।—সিফালৰপৰা যদি কিবা এটা হয়, মই হলে পোনেই লগ লাগিমগৈ; যি থাকে কপালত। এনেও মৰিম, তেনেও মৰিম!

১ম হাঃ হেৰ, থ, থ। আমাৰ ফালে, তাৰ পৰিণামে, তেনে সাহ-পিতৰ মানুহ নাই। দেখিলেহে লেখিবি, তাৰ পৰিণামে, বোলে সেই গেন্ধেলাটোৱে কি কৈছিল।

২য় হাঃ।—এৰা সাহ হলেও পিত্ নাই। গদা কোঁৱৰৰ নিচিনা মতা থাকিলহেঁতেন যদি, তেহে। তেওঁৰ দৰে আৰু দুটামান হোৱা হলেই হৈছিল।

১ম হাঃ।—বেচ কৈছ। সেইটো হলে, তাৰ পৰিণামে, মানোঁ। এনে জন পুৰুষ, তাৰ পৰিণামে, নহ'ব-উপজিব বুপাই। গদা যি, তাৰ পৰিণামে, গদা হে হয়। ব্ৰহ্মপুত্ৰখন বোলে, তাৰ পৰিণামে, সাঁতুৰি পাৰ হ'ল। শুনি বিস্ময়!

২য় হাঃ। সেই হে কও, বোলোঁ গদা কোঁৱৰৰ দৰে এজন ওপালে পিচত লৰি চাব পাৰোঁইক।

১ম হাঃ। হেৰ, তাৰ পৰিণামে, বলিয়া নহবিচোন। মুখ চম্ভালি, তাৰ পৰিণামে, কথা কবিচোন। ইমানেই, তাৰ পৰিণামে আটিছে। কেনেবাকৈ ইয়াৰ শুংহে পাব লাগিব, তাৰ পৰিণামে, হালে-হালে সাঙুৰিব বুলি নেজান হ'বলা?

২য়. হাঃ।—এৰা, সিজনীয়েও এইবোৰ উলিয়াবলৈ বধা কৰে পায়। পিচে, ফটা মুখ, কি কৰিবি! (চমক খাই উঠি) ভাইটি ঐ, এতিয়াহে মৰিলোঁ!

(এজন চোৰাংচোৰাৰ প্ৰৱেশ)

চোঃ চোঃ। এই দুটাই ইয়াত কি কৰিছে? কি কথা পাতিছিলি তইঁতে? ক, সঁচা কবি।

২য় হাঃ।—ককাইটি হেৰেই! ই হে, ই হে। মই মুখ লৰোৱাই নাই। ই হে যত্‌কুটৰ ঘাই।

১ম হাঃ।—মই হলে, তাৰ পৰিণামে, আগেতে কৈছিলোঁ, বোলোঁ, তাৰ পৰিণামে, ৰজাক চৰ্চ্চিব নেপায়। ৰজাৰ হৈ, তাৰ পৰিণামে, বাৰছালেও শুনে। এতিয়া, তাৰ পৰিণামে, পৰ্মাণ পালি?

চোঃ চোঃ।—ইহঁতে কয় কি! অ, বুজিলোঁ, তইঁতে ৰজাৰ বিপক্ষে কিবা মন্ত্ৰণা কৰিছিলি?

১ম হাঃ।—মই হলে, তাৰ পৰিণামে, কওঁ বুলি একো

কোৱা নাই দেও! মই, তাৰ পৰিণামে, সৰ্কদেওৰ ফালেহে কৈছিলোঁ।

চোঃ চোঃ।—অ, বুজিলোঁ, ইহঁত ৰাজদ্ৰোহী। বল, তহঁতক ৰজাৰ আগত দিবলৈ লাগে।

২য় হাঃ।—যাব লাগে যাওঁ। মই হলে একো কৰা নাই, দোঁতাটি! মুঠেই—

১ম হাঃ।—সি হে, তাৰ পৰিণামে, যতকুটৰ ঘাই। ভাল মাৰিলি, তাৰ পৰিণামে, বৰহমবধি! তই যে মৰিলিয়েই, তাৰ পৰিণামে, মোকো মাৰিলি, তাৰ পৰিণামে, অধৰমী!

চোঃ চোঃ।—(১ম হাটকৰাক গতিয়াই-ভুকুৱাই) কটা-বন্দী, কি কেপ্‌কেপাই থাক। যাবলৈ কৈছোঁ, বল। ইয়াতে ধাতু উৰাম চাবি!

১ম হাঃ।—ইয়াতে মাৰি পেলালেও, তাৰ পৰিণামে, ভাল আছে ককাই! জীয়াজুইত পৰি আৰু, তাৰ পৰিণামে, জীম বুলি ভাবিছোঁ নে!

২য় হাঃ।—কপালত যি হ'ব লগা আছে, হ'ব। মই হলে আগ হৈছোঁ। আহ, ককাই আহ।

চোঃ চোঃ।—(১ম হাটকৰাক গতা মাৰি) এইটোৰে নো ভেবা লাগি কৰিছে কি? আগ নাবাঢ় কিয়?

১ম হাঃ।—যাওঁ যাওঁ, তাৰ পৰিণামে, ককাইটি হেৰেই, যাওঁ। তইঁতৰ আলেখ-লেখ হে, তাৰ পৰিণামে, চাইছোঁ।

চোঃ চোঃ।—বাৰু, নেলাগে লোকৰ আলেখলেখ চাব। গতাত মূৰ নৌ ছিঙ্গোতেই আগ বাঢ়।

২য় হাটকৰা।—এৰা, ৰজাৰ হুকুম বুলিলে আৰু ক'ব লাগিছে নে? আহ, ভাইটি আহ, যি কৰে ঈশ্বৰে!

চোঃ চোঃ।—বল আজি, বাপেৰে দুইকো পিঙ্গত দিয়াম গৈ। কটাইত! ত্ৰিশূলৰ ওপৰত নাচিছিলি!

(সকলোৰে প্ৰস্থান)

অষ্টম গৰ্ভাঙ্ক

ৰজাৰ চ'ৰা

বুঃ গোঃ।—নাই গদাপাণি!
হোৱা নাই এই পাৰ।

ৰজা।—সলাল গোঁহায়ে
তেন্তে মিছা বাৰ্ত্তা দিলে? তাৰে কথামতে
অনালোঁ চপাই যত ৰাজসেনা দল,
ভাটীভাগ এৰুৱাই!

বুঃ গোঃ।—পৰিছে ভ্ৰমত।
নুবুজিলে সিজনাই ফাঁকতি গদাৰ।
আমিও নুগুণি আগ, অনালোঁ চপাই
ততালিকে সেনাদল! সেই সুযোগতে
ভটীয়ালে গদাপাণি!

ৰজা।—কি কৰা এতিয়া?

বুঃ গোঃ।—লাগিব কৰিব এটা।

ৰজা।—হ'ল চিন্তা ঘূৰি।

বুঃ গোঃ।—চিন্তাৰ নপৰে ওৰ।
তথাপি ভাবিছোঁ, ভয়ৰ কাৰণ নাই,—
ভাটীমুখে নিৰ্ব্বিবাদে নাই তাৰ গতি।
জনাম সকলো কথা বৰফুকনক,
নোৱাৰে সাৰিব যাতে, কোনোপাৰে গদা,
গুৱাহাটী এৰি।

ৰজা।—কৰা যিবা দেখা ভাল।
পাব লাগে বাৰ্ত্তা গই ফুকনৰ কাষ,
নহওঁতে গদাপাণি গুৱাহাটী পাৰ।
নতুবা, বিফল সকলো প্ৰয়াস তব,
বাঢ়িব বিপদ।

বুঃ গোঃ।—অনতিপলমে
স্থলপথে লৰুৱাম চেৰাৰী কটকী;
যাব আজি ৰাতিয়েই।

ৰজা।—অনতিপলম,
অনতিপলম, যোৱাঁ যোৱাঁ এতিয়াই;
যোৱাঁ, শুভমস্তু শীঘ্ৰম্।

বুঃ গোঃ।—আহোঁ স্বৰ্গদেৱ!
নহ'ব চিন্তিত অত। (প্ৰস্থান)

(বন্দীপালৰ প্ৰৱেশ)

বন্দীপাল।—(আঁঠু লৈ) স্বৰ্গদেৱ!

অনা হ'ল ৰাজদ্ৰোহী দল।
নিজানত বন্দী কৰি ৰাখিছোঁ সবাক।

ৰজা।—কাৰো নাক, কাৰো কাণ,
কাৰো চকু, কাৰো ঘিলা কাটিবি তুৰন্তে।
আজ্ঞা হ'ল মোৰ।

বন্দীপাল।—যিবা আজ্ঞা স্বৰ্গদেৱ! (প্ৰস্থান)

ৰজা।—লাগিছে বিষম!
নেপাওঁ আশ্বাস ক'তো; ঘোৰ অবিশ্বাসে
ছাতিছেহি মন-প্ৰাণ! নুবুজোঁ আপুনি,
কিবা ভাবোঁ, কৰোঁ কিবা। শত্ৰু-মিত্ৰ জ্ঞান
নাই মোৰ হৃদয়ত আৰু, দেখোঁ এবে
সবে শত্ৰু, সবে মিত্ৰ। নোৱাৰোঁ চিনিব
প্ৰকৃত স্বজন কোন্!

অঙ্কপাত

তৃতীয় অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

গুৱাহাটী –পোহাৰী-টোল

লুকী গাৰোৱনীৰ পোহাৰ-ঘৰ

লুকী।—অ, তুহ্‌ না বয়া পাইছুৱাঁ? এন্‌কে মন বয়া কৰি থাকা কিয়া? কিনো ভাব্‌ছুৱাঁ?

গদা।—বেয়া নেপাবি। মই একো বেয়া পোৱা নাই। আন কিবা কথাহে ভাবোঁ।

লুকী।—অ, কিহক লাগি নো ভাবাহ্‌? মুই তুহ্‌নাক দুখ দিছুংনা কি? হেঁইগিলাখান ভাল নাপাং দে।

গদা।—তই মোক কি দুখ দিবি, মই হে তোক দুখ দিছোঁ। কিমান দিন নো এই দৰে বহি থাম তাকে গুণিছোঁ।

লুকী।—অঃ, মুক নো কি দুখ দিছুৱা হা? মুই কুমু দুখ নাপাং দে। তুহ্‌নাক মোৰ বৰ মৰাম লাগে।

গদা।—এৰা, মৰম যে কৰ সেইটো বুজিছোঁ। কিন্তু, মোক সদাই পুহিবলৈ নো তই কত পাবি?

লুকী।—অঃ, মুৰ নহলি, মাগি আনি খুৱাম দে ডাঙ্গৰীনী গিলাখান মুক বৰ মৰাম কৰে, ওঁ।

গদা।—(মনতে) শলাগোঁ আজলী তোক!
শলাগোঁ অশেষ, কোমল হিয়াৰ ভাব,
—অবলা ধৰম!

লুকী।—আৰু কবাৰ নাই হব? ইছান তুহ্‌নাক মাত্‌বা নোৱা কৰ্‌লুং দে।

গদা।—সঁচা,-মাতিব নোৱাৰাত হে পৰিলোঁ। বাৰু, কচোন, তোক নো কোন্ ডাঙ্গৰীয়ানীয়ে মৰম কৰে?

লুকী।—কিয়া, আমাৰ ফুকান ডাঙ্গৰীনী মৰাম কৰে। মুকে হলি ভিতাৰ লাগি যাবা দেয় নহয়; আৰু কেম'ন কথা হুদিবা ধৰে!

গদা।—বাৰু, কিনো সোধে? মোৰ কথা কেতিয়াবা ওলাইছিল নে? ওলালে কিবা সোধে নে?

লুকী।–উ, উলাইছি দে, তুহ্‌না কথাও উলাইছি। তুহ্‌নাৰ চব গিলাখান কথা মুই কৈছুং। অ, আৰু দিন তুহ্‌নাক নিবা দিছি।

গদা।—তই পিচে কি কলি?

লুকী।—অ, মুই নিম বুল্‌ছুং?

গদা।—পিচে, তেওঁ কি কলে?

লুকী।–কালি-পৰ্হীতে নিবা দিছি।

গদা।—ডাঙ্গৰীয়াৰ ভিতৰলৈ মতা মানুহ যাব দিয়ে জানো?

লুকী।—মুনিহ মানুহ যাবা নেদেয়। তুহ্‌নাক লুকাই নিবা দিছি।

গদা—কেনেকৈ নো লুকাই নিবি?

লুকী।—বাৰু, তেন্‌কি হলি, ফিৰ্‌কা দিন্‌তে হুদিবা লাগে।

গদা।—নহয়, কাইলৈকে যা।

লুকী।—বুজ্‌ছেঁ দে, কালি হুদিবা যাবা লাগে? এই ছান মুই তুহ্‌না লাগি ভাত ৰান্ধিবা যাং। তুহ্‌না ককো নায্‌বি দিয়া?

গদা।—কলৈ নো যাম। ইয়াতে ইকাল-সিকালকৈ থাকিম। বাৰু, যা! (লুকীৰ প্ৰস্থান)

গদা।—চেনেহৰ বাইদেও
আছে ওচৰতে। দেখোঁ যদি কিবা হয়
দেখা পালে জানো, কৰিব ভ্ৰাতৃক দয়া
সঙ্কটৰ বেলা, পাৰোঁ যদি দেখা দিব
অতি গুপ্তভাৱে, ভিনীহিৰ অজ্ঞাতত।
নতুবা সিজনে নেৰিব নিৰ্ব্বিঘ্নে মোক
পাহৰি কৰ্ত্তব্য। সাধাৰণ লোক তেওঁ
নোহে জানোঁ মই, —ৰাজকাৰ্য্য সাধনত
সদা প্ৰাণপণ।

(প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

বৰফুকনৰ চ'ৰা

বঃ ফুঃ।—(অহ,) কতজনা স্বৰ্গদেৱ
গল পাৰ হই, এনে অত্যাচাৰ কথা
শুনা নাই আগে'। অলপতে কেইজনা
যোগ্য স্বৰ্গদেৱ অবাবত কটা গ'ল,
তথাপি নাছিল এনে প্ৰজা-হাহাকাৰ,
প্ৰজা পীড়নত কেঁৱে দিয়া নাই মন।
ইতিপূৰ্ব্বে কত যশৰাশি অসমৰ
গাইছিল সভ্যজাতি দেশ-বিদেশত।—
শাসনত অসমৰ নাছিল সমান,
যশস্যাত অসমৰ ভাৰতত নাম,
মানে-গুণে লভিছিল প্ৰথমত স্থান।
ইহেন অসম আজি যায় ৰসাতলে!
প্ৰজাৰ দুৰ্গতি শুনি ফাটি যায় হিয়া!
নিতকে নতুন, বিষম বাতৰি আৰু
শুনিম কিমান!

পাঃ ফুঃ।—কিনো কম ডাঙৰীয়া!
শুনা নাই আগে' প্ৰজাৰ দুৰ্গতি এনে,
নাছিল অশান্তি। বিপদ বাতৰি অৰু
বাঢ়িছে দিনকে;—উজনিত অশান্তিৰ
নাই পাৰাপাৰ!

বিষয়া।—নোদোষোঁ ৰজাক।
সৰ্ব্বদোষ ভাগী তেওঁ নহয় নিশ্চয়;
মন্ত্ৰীৰ মন্ত্ৰণা জানোঁ মূল কাৰণত।
অস্ত্ৰ মাথোঁ ৰজা আজি; কাটিছে অপৰে
যিৰূপে পাইছে চল।

বঃ ফুঃ।—ধ্ৰুৱসত্য কথা।
তাতেহে বাজিছে ব্যথা হৃদয়ত মোৰ।
এক মন্ত্ৰী ৰাজ্যৰ ঈশ্বৰ! কেনে কথা!
ভাবি চোৰাঁ বাৰু। তাতে ঘোৰ অত্যাচাৰ!
অন্যায় অধৰ্ম্ম একো নাই বিচাৰত,
পীড়িছে প্ৰজাক মাথোঁ! ইহেন উৎপাত
নোৱাৰি সহিব আৰু।

পাঃ ফুঃ।—নোৱাৰি সহিব।
প্ৰজাৰ বলত ৰজা, প্ৰজা অবিহনে,
অৰ্থশূন্য ৰজা নাম। সেই প্ৰজা প্ৰতি
অসহন অত্যাচাৰ! আপোনাৰ গাত
আপুনি আঘাতি মৰে!

বঃ ফুঃ।—বিষম বিষাদ
লাগিছে প্ৰাণত হায়, সিৰে সিৰে আজি
উতলি উঠিছে তেজ। নোৱাৰোঁ যদিহে
সাধিব প্ৰজাৰ হিত, সঙ্কটৰ বেলা,
কিয় আমি ৰাজকাৰ্য্য লইছোঁ হাতত?
—কিহৰ বিষয়া আমি!

বিষয়া।—ময়ো কওঁ তাকে।
নোৱাৰোঁ গুচাব যদি প্ৰজাৰ দুৰ্গতি,
অনৰ্থক এই বাব নেলাগে আমাক;
নলওঁ বিষয়া নাম!

পাঃ ফুঃ।—মিলিছে সবাৰো মত
উচিত কথাত। অৰাজক অত্যাচাৰ,
বাঢে যদি দিনে, ৰাজকৰ্ম্মচাৰী হই
কিবা ফলোদয়!

বিষয়া—চিন্তাঁ এবে সদুপায়,
কিৰূপে খণ্ডাব পাৰি এনুৱা অপায়।
নিষ্কলঙ্ক সিংহাসন ইন্দ্ৰ-বংশৰ,

কিমতে উদ্ধাৰ হয় দুৰ্নামৰপৰা,
চিন্তা সকলোৱে।

ব: ফু:।—চিন্তৰিছোঁ বিস্তৰ হেৰা।
ইন্দ্ৰবংশী ৰাজকুল, আজি পৃথিবীত,
তল গ'ল দুৰ্নামত। লাগিছে তবধ
জানো, স্বৰ্গত দেৱতা, দেখি মৰতত
মানৱৰ অনুচিত কাজ,—দেখি আৰু,
মহাসতী জয়মতী পীড়নৰ দশা।
শাপিছে দিনকে জানো, সতীকুলে হায়,
ই ৰাজ্যৰ পতনৰ হেতু। নাই আজি
ৰাজলক্ষ্মী অসমৰ, ত্যেজিছে দেৱীয়ে।
ত্যেজিল সতীয়ে যেই। বাজিছে হিযাত
দেৱতা আদেশ বাণী,—নাই দোষ মোৰ।
কৰ্ত্তব্য পালন হেতু হলোঁ প্ৰতিশ্ৰুত,
—নডৰাওঁ কাকো।

(দুৱৰীৰ প্ৰৱেশ)

দুৱৰী।—ৰাজদূত উপস্থিত,
দেউতা-ঈশ্বৰ।

ব: ফু:।—ক্ষন্তেক পলমে দেখা।
শুশ্ৰূষাৰে ৰখা হোক আলহী টোলত।

দূত।—ভাল, দেউতা-ঈশ্বৰ। (প্ৰস্থান)

বিষয়া।—এবোঁ আজিলই।
নাপায় সম্ভেদ্ যেন অহা-ৰাজদূতে
আজিৰ মন্ত্ৰণা কথা। (সকলোৰে প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

ফুকননীৰ বুলনী

লুকী।—(প্ৰৱেশ) অ, আইচু দোতা! মই লুকী আহিচুং।
লাগ পাম না?

ভিতৰৰপৰা।—ওঁ, লাগাল পাবি দে। আইচু-দেউতা
অলাই যাবা লাগ্ছি। অ, তুহ্নাক কাঠীতি
বহিবা দিছি।

লুকী।—অ-অ, বহিচুং দে। (বহে)

(ফুকননীৰ প্ৰৱেশ)

ফুকননী।—অ, লুকী আহিছ?

লুকী।—ওঁ, আহিচুং দিয়া। তুহ্না আহিবা দিছি,
আহিচুং।

ফুকননী। ভাল কৰিলি। ক'তা, তই সিদিনা আনিম
বোলা মানুহটো? নাহিল দেখোন?

লুকী।—অ' আহিবা লাগি হেই লাজ কৰ্ছি। দেখা
পালি দোতা বয়া বল্বা বুলি।

ফুকননী।—নেদেখাকৈ আনিব নোৱাৰিলি?

লুকী।—উঃ, নেদ্খা কৰি কেন্কে আনবা? অ, হেইটো
বৰ ডাঙ্গৰ মুনিহ। লুকাবা নৰি।

ফুকননী।—হেৰ বেটী, তোতকৈ ডাঙ্গৰ বুলি মযো
জানিছোঁ। তোৰ গাৰ আৰত লুকাই আনিবলৈ
কোৱা নাই।

লুকী। -হাবৈ, বৰডাঙ্গৰ! হেনে মুনিহ ইবাগি দেখ্বা
লাগি নাই! বৰ চৰা, বৰ মোটা! তাহ্না
হাত গিলা ভৰি গিলা বৰ ডাঙ্গৰ ডাঙ্গৰ।

ফুকননী।- মানুহটো দেখিবলৈ কেনে?

লুকী। অং, বৰ ৰূপাহ, দেখ্বা লাগি বৰ সুন্দাৰ। অ,
গোটাই বেলি হেন ৰাঙা। ৰাজাৰ কোঙাৰ হেন
দেখি।

ফুকননী।—সি এতিয়া কি কৰে? কেনেকৈ থাকে?

লুকী। -ভাবি-ভাবিকিনে বহি থাকে। হৰাহ কথা
নাকয়।

ফুকননী।—খায় কেনে?

লুকী।—উঃ! খাৱাত হলি কম্তি নাই। পাঁচটা মুনিহাক
লাগি ৰান্ধা ভাত আক্লা খায়, বাপাঐ!

ফুকননী।—(মনে-মনে) বাকী নাই বুজিবৰ।
দুৰ্ভগীয়া ভ্ৰাতৃ মোৰ, বীৰ গদাপাণি
চাপিছেহি কাষ দেহি! গুপুত উদ্দেশ্যে
ছদ্মবেশ ধৰি, ভ্ৰমিছেহি বাছা মোৰ,
বিচাৰি উপায়!

লুকী।—অ, কিনো ভাব্ছুৱা আইচু?

ফুকননী।—ভাবিছোঁ কি, কাইলৈ তাক মই লুকুৱাই

অনাম। তইঁত ঠিক হৈ থাকিবি। আৰু, কাৰো আগত এইবোৰ কথা মুলিয়াবি।

লুকী।—ওঁঃ, কিয়া ওলাম? তাৰ কথা নোলাবা লাগি হেঁই কৈ দিছি।

ফুকননী।—বাৰু, মই তোক ভাল পাইছোঁ। মোৰ কথা মতে চলিলে তোক আৰু ভাল পাম। জানিছ?

লুকী।—অঃ, শপাথ খাম্‌না আইচু? তুহ্‌না কথা মুই কেহ্‌নি হুনা নাই?

ফুকননী।—বাৰু, শপত খাব নেলাগে। মই তোক বিশ্বাস কৰিছোঁ। এই বিশ্বাস ৰাখিলে পিচেকৈ তোৰ ডাঙ্গৰ লাভ হ'ব, জানিবি।

লুকী।—অ, ৰাখিম দিয়া।

ফুকননী।—বাৰু, তই এতিয়া যা।

লুকী।—যাং দিয়া, আইচু! (সেৱা কৰি প্ৰস্থান)

ফুকননী।—বাকী ৰ'ল সুধিবৰ

ক'ত কথা আৰু! ভ্ৰাতৃ-দূত গ'ল গুচি!-
আছে সি কিভাৱে, কিবা মিলে খাবলই?
সৰুতে সুখত উঠা, ৰজাৰ কোঁৱৰ,
আহাৰত অতুলন বাছাধন মোৰ।
গাৰোৱনী আশ্ৰয়ত আছেহি লুকাই
কত কষ্টে জানো! ভাবিলে সি সব কথা,
বিদৰে হৃদয়! ঘৰৰ বাতৰি আৰু,
আৰু শোচনীয়া; নাই আজি পিতৃ-গৃহ,
নাই মাতৃ, নাই ভ্ৰাতৃ, নাই ভ্ৰাতৃ-বধূ, -
সাধ্বী সতী জয়া!—আৰু দুটি ভ্ৰাতৃ-পুত্ৰ
জীৱন্তে অনাথ!--কিমতে উদ্ধাৰ হ'ব,
কি দিম উপায়? পৰাধিনী নাৰী মই;
পুৰুষ আশ্ৰয় বিনে কিৰূপে বৰ্ত্তিম,
পৰজীৱী লতা! তথাপি যত্নৰ ত্ৰুটী
নকৰিম মই, নকৰোঁ পলম আৰু।
ভিক্ষা মাগি ভ্ৰাতৃপ্ৰাণ স্বামী চৰণত,
ৰাখোঁ বংশধৰ। আৰু হাঁয়, হয় যদি,
ঈশ্বৰ ইচ্ছাত, মনোৰথ পূৰ্ণ তাৰ,
ইন্দ্ৰবংশী ৰাজকুল উধাব তুনাই;
শান্তিৰ বিস্তাৰ হ'ব পিতৃৰ ৰাজ্যত
নিস্তাৰিণী, নিস্তাৰাঁ মাও, কৰিছোঁ কাকুতি;
অবলাৰ সেৱা লই তুষ্ট হোৱাঁ দেৱী!
--উদ্ধাৰাঁ অসম।

(মৌন)

যাওঁ, অনতিপলমে
কৰোঁগই যুগুতি যি হয়, আজিয়েই
অনাম বাছাক। (প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

নীলাচলৰ নামনি

১ম বাটৰুৱা।—ঐ মোৰ বাপ্! এঁইমান ডাঙ্গাৰ মুনিহ মোৰ বাপ্ জন্মত দেখা নাই, বাপাঐ!

২য় বাটৰুৱা।--হুই বাপা, হুই। অ' গোটাই হাঠী হেন, মোৰ বাপ্ ঐ! গাছৰ ডালগিলা মাৰ্‌মাৰ্‌কৈ ভাঙ্গিলাক গোটাই!

৩য় বাটৰুৱা।—অ' খোজগিলা নেদ্‌খিলি না? মোৰ হাত দি এক মুঠান দীঘাল! কোন্বা দেশ থাকি ইটো ভীম আহিলাক, বাপা!

১ম বাঃ।--তুহ্‌না নাজ্‌না? সেঁইটো উজান থাকি আহিছি। লুকী ঘৰ্‌তে ঢোকা ৰইছি।

২য় বাঃ।—অঃ, সেঁইটো হ'বা নৰে। ইটো কোন্বা ডাঙ্গাৰ মানুহ। কিবা ডাঙ্গাৰ কথা লাগি আহিছি হ'ব?

৩য় বাঃ।—অ, হলি হ'বা পাৰে। তাঁহ্‌না কথা গিলা ডাঙ্গাৰ ডাঙ্গাৰ। অ, উজান দিকি ভিক্ষ্ লাগ্‌ছি হ'ব? সিবাগিৰ মানুহ গিলা অঁইই লাগি ভাগ্‌ছি।

১ম বাঃ।—অ, সেঁইটো হ'বাৰ নয়। সঁহয় ৰাজাৰ দায় লাগ্‌ছি। মানুহ গিলা ধৰ্‌ছি, মাৰ্‌ছি, কাট্‌ছি, এই গিলাথান কৰ্‌ছি।

২য় বাঃ।—হাৰৈ, তুহ্‌না জান্‌ছা? আমাৰ ডাঙ্গৰীয়াক লাগি খবাৰ দিছি, অঁইই হেনে কৰ্‌বা লাগি। দুই-তিনটা মুনিহ লগ হ'বা নেদেয়। তুহ্‌না কাৰৈ লাগ নাল্‌গিবি মোৰ বাপাঐ!

৩য় বাঃ।—তেন্‌কি হলি, ইথিনি পৰ্‌তে কোম্বা আহ্‌বা লাগ্‌লি মৰ্লো দে!

১ম বাঃ।—অ' কিয়া মৰ্বি হা?

২য় বাঃ।—কেঁইটা লগ হৈছি তুহ্‌না নাচাহ কিয়া পুত্‌খা? অ, আমি গিলা তিনটা হৈছি, নেদ্‌খা না?

৩য় বাঃ।—হাঁ মোৰ কাপাল! সেঁইটো কোম্বা অঁইই আহ্বা লাগ্‌ছি!

কেইওটাই।—(নিলগলৈ বেঙামেলি চায়)

২য় বাঃ।—অ' হুই দে। হুই মোৰ বাপা, মৰ্লো দে!

১ম বাঃ।—অ' কাৰৈ নাথ্‌কিবি। পালা, পালা, বাপাঐ, পালা, নাথ্‌কিবি। অ' অঁইই দি হুৰ্‌কি আহ।

(পানীফুকনৰ প্ৰৱেশ)

পাঃ ফুঃ।—হেৰ, তইঁতে কি কৰিছইঁত ইয়াত?

কেইওটাই।—(ভৰিত পৰি কাও-বাও কৰে)

পাঃ ফুঃ।—কটাইঁত, তইঁতৰ হৈছে কি?

১ম বাঃ।—অ' মোৰ সাতপুৰুষ-দৌতা, আমি আগৈতে নাজ্‌নো দৌতা!

পাঃ ফুঃ।—কটা, কি নেজান?

২য় বাঃ।—দৌতা, সেই গিলা কথা আমি কাৰৈ নাজ্‌নো, মোৰ পিতা!

পাঃ ফুঃ।—হেৰ, কি কথা? ভাঙ্গি নকৰ কিয়?

৩য় বাঃ।—সেঁই লগ হ'বা নেদেয় যে দৌতা!

পাঃ ফুঃ।—উপায় নাই! কি লগ হ'ব নিদিয়াৰ কথা?

১ম বাঃ।—দৌতা-ঈশ্বাৰ, মোৰ সাতপুৰুষ দৌতা, নাক্‌টিবা দৌতা! অঁইই আমি গিলা তিন্‌টা লগ হ'বা দেখিলাক, পিতা!

পাঃ ফুঃ।—বাৰু, লগ হলি। পিচে, কি হ'ল?

৩য় বাঃ।—দৌতা, তিনটা লগ হলি কাটুবাৰ হুকুম হৈছি বলে?

পাঃ ফুঃ।—এনে কথা তইঁতক কোনে কৈছে?

২য় বাঃ।—শুন্‌ছোঁ দৌতা, উজানত কাটুবা লাগ্‌ছি। অকে লাগি মুনিহ গিলা ভাগ্‌ছি।

পাঃ ফুঃ।—মিছা, মিছা। তইঁতে একো ভয় নকৰিবি।

১ম বাঃ।—ভাল দৌতা-ঈশ্বাৰ! উঃ, জীউ দিলাক আহি পিতা!

পাঃ ফুঃ।—বাৰু, ভয় নকৰিবি; তইঁত যাগৈ। আৰু এইদৰে লগ হলে কোনো জগৰ নাই। তইঁতে আনকো কৈ দিবিইঁক।

২য় বাঃ।—ভাল দৌতা! জীউ দিলাক বাপাঐ! যাবা দিছি, যাওঁ চ'লা, বাপাগিলা, যাওঁ চ'লা।

(বাটকৰাইঁতৰ প্ৰস্থান)

পাঃ ফুঃ।—অৰাজকপূৰ্ণ দেশ!

ৰাজ্য জুৰি বিয়পিছে অশান্তিৰ ঢউ।
নগৰৰূপৰা যিবা আহিছে বাতৰি,
ধুৰুপ ঘটনা। স্বৰূপ লিখিছে আৰু
বৃদ্ধ মন্ত্ৰীবৰে: –এজনৰ মন্ত্ৰণাত
ছাৰখাৰ দেশ! ৰসাতলে যায়-যায়!
—কি হ'ব উপায়!

(প্ৰস্থান)

পঞ্চম গৰ্ভাঙ্ক

বৰফুকনৰ বৰঘৰ

বঃ ফুঃ।—(মজিয়াত বহি ৰোৱা খোজ এটালৈ চাই)

কাৰ খোজ ইটো?
কোন্ তেওঁ পুৰুষ প্ৰধান, খোজ যাৰ
বহি যায় মাজ-মজিয়াত! মহাবীৰ
জানিছোঁ নিশ্চয় তেওঁ; নতু এনে খোজ
যাৰে-তাৰে নহয় সম্ভৱ। যেয়ে হোক;
কাৰ এনে সাহ, সোমায় ভিতৰ মোৰ!
- গুপ্তভাৱে আহে-যায়?

ফুকননী।— ক্ষমা কৰাঁ প্ৰাণনাথ!

দিয়াঁ ভিক্ষা এটি প্ৰাণ, অধিনীক আজি;
—ৰাখাঁ মোৰ প্ৰাণ।

বঃ ফুঃ।—ইকি আচৰিত!

কিয় হল এনে মতি তৱ? জানো মই,
তোমাহেন স্থিৰমতী অতুল জগতে;
পতিভক্তি, পতিপ্ৰাণ, পতিমাত্ৰ ধ্যান,

তোমাৰ বিশেষ গুণ। কিয় দেখোঁ আজি,
এনে বিপৰীত মতি!

ফুকননী।—চঞ্চলা চপলা যেন
নেভাবিবা প্ৰাণনাথ! সুগভীৰ তলি
মোৰ পতি-ভকতিৰ মণি পায় কোনে!
ভেটা দি বুৰাই পাৰ লক্ষ্যভ্ৰষ্ট কৰে,
সাধ্য এনে কাৰ?

বঃ ফুঃ।—সুবুজোঁ কথাৰ ধাৰ।
বুজিবৰ চল মোৰ নাই এই বেলা।—
কোন্ সিটো, দিয়ে আহি মজিয়াত ভৰি,
কব লাগে মোক। নসহে পলম আৰু,
নসহোঁ কিঞ্চিৎ।

ফুকননী।—নহবা অধীৰ নাথ!
নেভাবিবা আন ভাব, বাতুলৰ দৰে।
আপোনাৰ পৰিচয় কিয় কৰা হীন
প্ৰকাশি দুৰ্ব্বল ভাব,—নীচ অবিশ্বাস
বিশ্বাসী জনত!

বঃ ফুঃ।—ভাব নাই নীচতাৰ!
উগুল-থুগুল ভাবে বাঢ়ে কৌতূহল,
নসহে পলম। অনতিপলমে কোৱা,
কোন্ সিটো জন?

ফুকননী।—নকৈ নেথাকোঁ নাথ!
প্ৰতিশ্ৰুত হোৱা আগে, প্ৰাণ দিবলই,
—দিম পৰিচয়।

বঃ ফুঃ।—নকৰোঁ প্ৰতিজ্ঞা আগে।
নবধোঁ নিৰ্দ্দোষী কিন্তু, জানিবা নিশ্চয়,
অন্য উদ্দেশ্যত।

ফুকননী।—শুনা তেন্তে প্ৰাণনাথ!
দিয়া প্ৰাণদান মোক, ৰাখি ভ্ৰাতৃপ্ৰাণ;—
গদাপাণি আছে আহি, আজি দিন চাৰি।
গুপুতে ৰইছে বাছা, ৰজাৰ ডঁৰিত;
ৰাখা তাৰ প্ৰাণ।

বঃ ফুঃ।—ইকি! গদাপাণি!
কিয় তুমি ৰাখিছা লুকাই! প্ৰাণ স'তে
প্ৰাণৰ সোদৰসম স্নেহোঁ যাক মই,
মোৰ হস্তে ভয় তাৰ?

ফুকননী।—জানোঁ নাথ, তব ভাব।
তথাপিতো, ৰাজকীয় কৰ্ত্তব্যত লাগি
জানো কিবা কৰা!—ৰাজাজ্ঞাৰ কথা নিজে
শুনালা সিদিনা।

বঃ ফুঃ।—নকৰিবা ভয়।—
ৰাজাজ্ঞাৰ প্ৰতিকূলে চলিছোঁ এতিয়া;
প্ৰজাৰ উদ্ধাৰ হেতু কৰিছোঁ যুগুতি,—
লৰা-ৰজা ভাঙ্গি ৰজা পাতোঁ অন্য জন।
শুভক্ষণে পালোঁ বাৰ্ত্তা গদা কোৱঁৰৰ।
আনা মাতি, চাওঁ মই বাছাক এবাৰ,
দেখা নাই বহুকাল।

ফুকননী।—দেখিবা এতিয়া;
আনোঁ মাতি প্ৰাণেশ্বৰ!

(ফুকননীৰ প্ৰস্থান)

বঃ ফুঃ।—অতি শুভক্ষণ।
গদাপাণি কোৱঁৰক পালোঁ সময়ত।
নকৰোঁ পলম আৰু, সভাসদে মিলি
কৰিম যুগুতি আজি। (চিন্তাযুত)

(গদাপাণিৰে সৈতে ফুকননীৰ পুনঃ প্ৰৱেশ)

বঃ ফুঃ।—(আগবাঢ়ি গৈ গদাক সাবটি ধৰি) গদাপাণি!

গদা।—(উলটি সাবটি ধৰে) ভিনীহিদেৱ!

বঃ ফুঃ।—আছাহি লুকাই তুমি,
কিবা কাৰণত?—নালাগে লুকাব আৰু,
নাই মোত ভয়।

গদা।—প্ৰাণৰ ভয়ত জানা,
লোৱা নাই গুপ্তবাস; দিওঁ যদি ধৰা,
নহব উদ্দেশ্য সিদ্ধি, নহব উদ্ধাৰ
অৰাজক পিতৃৰাজ্য অত্যাচাৰপৰা;
—ইমানেই ভয়।

বঃ ফুঃ।—নাই আৰু সেই ভয়।
কৰিছোঁ যুগুতি, পায় যাতে পৰিত্ৰাণ
নিম্নাখিত প্ৰজা। দিছা আহি যোগদান

যথা সময়ত। যোৰাঁ, এবে ধৰাঁগই
ৰাজকীয় বেশ। যাওঁ মই দিওঁগই
সভাসদগণে, অতি শুভবাৰ্ত্তা এই।
ঘূৰিম সত্বৰে। (প্ৰস্থান)

ফুকননী।—আহা, মোৰ বাছাধন।
ধৰাঁ আহি যোগ্য পৰিচ্ছদ, চাই ৰূপ
জুৰাওঁ পৰাণ।

(ফুকননী আৰু গদাপাণিৰ প্ৰস্থান)

ষষ্ঠ গৰ্ভাঙ্ক

বৰফুকনৰ চ'ৰা

পাঃ ফুঃ।—শান্তি নাই। শান্তি নাই॥
ৰাজ্য জুৰি বিয়পিছে, অশান্তিৰ ধল।
শান্তি নাই উজনীত, নাই শান্তি লেশ
দৰঙ্গী প্ৰজাৰ প্ৰাণে, শান্তিভঙ্গ আজি
কামৰূপী প্ৰজা সমূহৰ। চউপাশে
আতঙ্কে আতুৰ হাঁয, শান্ত প্ৰজাকুল,
—শঙ্কা প্ৰতি পদে।

মজিন্দাৰ-বৰুৱা।— নকৰাঁ ফুকনদেৱ।
শুনিছোঁ বিস্তৰ ৰাজ অত্যাচাৰ কথা,
শুনিব লাগিছোঁ দিনে।—কি হ'ব উপায়।
কিমতে উদ্ধাৰ হয়, প্ৰজাবৰ্গ আজি,
ভাবি পোৱা নাই। নাই অন্ত ভাবনাৰ
নকৰোঁ যদিহে যুগুত মন্ত্ৰণা সবে,
ইফালৰপৰা।

পাঃ ফুঃ। স্বৰূপ কইছা তুমি।
কোৰাঁ তেন্তে যুগুত উপায়, কিবাৰূপে
কৰা ভাল কাৰ্য্য আৰম্ভণ। আছে যদি
লোৱাঁ নাম যোগ্য কোঁৱৰৰ,—যোগ্য কোন
ৰাজপাটলই?

ধোঁৱা-বৰুৱা।—দেখিছোঁ বিষম।
নেদেখোঁ নিঘৃণী জন ৰাজপাটলই।
আছিল যতেকমানে সুযোগ্য কোঁৱৰ,
অঙ্গক্ষত কৰি আশা কৰিলে বিনাশ,
ভাগিলে কোনো বা জন দেশ-দেশান্তৰে,—
চিন্ নাই পাবলই। তাতে হে চিন্তিত।
ভাবিলোঁ বিস্তৰ আমি, ডাঙ্গৰীয়া সতে,
নাপালোঁ বিচাৰি ভাবি, যোগ্য কোনো জন।
বংশই নিদিয়ে কাম, লাগে বাহুবলী,
ওখমনা, বীৰতেজী, সুযোগ্য কোঁৱৰ,
ইহেন সময়।

পাঃ ফুঃ।—মানিছোঁ তোমাৰ কথা।
মানিবাঁ তুমিও,—"যথা ইচ্ছা তথা বাট",
—স্বভাৱৰ গতি।

(বৰফুকনৰ প্ৰৱেশ)

ধোঁৱা বৰুৱা।--আহাঁ ডাঙ্গৰীয়া।
আছোঁ আমি অপেক্ষাত, লোৱাঁহি আসন,
লোৱাঁহি চিন্তাৰ ভাগ। কিন্তু, দেখোঁ, যেন
প্ৰফুল্ল মুখানি আজি, কিবা কাৰণত?
পাহৰিছা ডাঙ্গৰীয়া, ৰাজকীয় দায়?
ৰাজ্যৰ অশান্তি আৰু কোঁৱৰ সন্ধান,
পাহৰিছা কিবা ভাবি?

বঃ ফুঃ।—কিবা কোৱাঁ তুমি।
পাহৰিম ৰাজকাজ? কওঁ শুনা আজি
আনন্দ কিহত মোৰ। লভিছোঁ সন্তোষ
ৰাজকীয় কথা লই, বিৰিঙ্গিছে আশা,
হ'ব বুলি আমাসাৰ উদ্দেশ্য সফল,
ঈশ্বৰ কৃপাত আজি।

ধোঁৱা বৰুৱা।—কিবা ডাঙ্গৰীয়া?

বঃ ফুঃ।—মিলিছে কোঁৱৰ এটি।

পাঃ ফুঃ।—যোগ্য ৰাজপাটলই?

বঃ ফুঃ।—সুযোগ্য কোঁৱৰ।
শুনিছা সবাৰে জানো গদাপাণি নাম,
—বাহুবল কোঁৱৰৰ?

পাঃ ফুঃ।—জানোঁ গদাপাণি
জানোঁ আৰু বিক্ৰম গদাৰ। নাই বীৰ
সমনীয়া দ্বিতীয় এজন। কিন্তু জানোঁ,
নিৰুদ্দেশ এবে তেওঁ।

বঃ ফুঃ।—পাইছোঁ উদ্দেশ।
মিলিছে হাততে আহি, ঈশ্বৰ-ইচ্ছায় ;
—আছেহি আলহী হই।
ঘোঁৰা-বৰুৱা।—শুভবাৰ্ত্তা অতি।
“শুভস্য শীঘ্ৰম্” জানি, কাজে হাত দিয়া
উচিত এতিয়া দেখোঁ।
পাঃ ফুঃ।—নিশ্চয়, নিশ্চয়।
পলমে বিঘিনি মাতে ; নাৰাখিবা ৰাখি
শুভকৰ্ম্ম পাচলই।
বঃ ফুঃ।—সুখী হলোঁ শুনি।
সবাৰো মিলিছে মত। অনতিপলমে
যাওঁ সৱে কৰোঁগই যুগুত উপায় ;
ভাগে ভাগে শুভ কাম। সেনাদল আৰু
যাত্ৰাৰ আহিলা-পাতি হ'ব লাগে স্থিৰ।
অতি শীঘ্ৰে দিব লাগে, সেনাধ্যক্ষ পাতি
গদাপাণি কোঁৱৰক। সেনানী সজাই
কৰোক যুগুতি ভাল ; সসৈন্যে উজাই
যাব লাগে পানী-পথে। কিন্তু, আগে তাৰ,
যাব লাগে আগ-বাৰ্ত্তা 'বৰ' মন্ত্ৰীলই ;—
ৰক্তপাত নোহে যাতো পাৰিতপক্ষত,
প্ৰজাবল ক্ষয় যাতো নহয় কাচিত,
প্ৰজা-হিত-সাধনত। (সকলোৱে প্ৰস্থান)

অঙ্কপাত

চতুৰ্থ অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

গুৱাহাটী,—খাৰগুলি কোঁঠ

পানীফুকন।—শুনাঁ সৈন্যগণ, ভাবীৰজা গদাবীৰে
স্বয়ং লবহি আজি সৈন্যাধ্যক্ষ বাব।
বজোৱাঁ মঙ্গলবাদ্য, বোলাঁ উচ্চস্বৰে ;—
বোলাঁ একেস্বৰে,—জয় গদাপাণি জয়।
সৈন্যগণ।—জয় গদাপাণি জয়।
পাঃ ফুঃ।—বোলাঁ আৰু বাৰ,—
সৈন্যগণ।—জয় ভাবীৰাজ জয়।

(গদাপাণিৰ প্ৰৱেশ)

পাঃ ফুঃ।—পশিছোঁ শৰণ
নতশিৰে সকলোৱে ; মানিছোঁ অধ্যক্ষ
আমি বীৰ গদাপাণি।
সৈন্যগণ।—জয় গদাপাণি জয়।
গদা।—নাচিছে হৃদয়,
নাচে মোৰ তেজপুঞ্জ প্ৰতি সিৰে বই,
অতনা সাহসী জন দেখি ৰণবেশে।
যাৰ বাহুবলে দৰ্পচূৰ্ণ মোগলৰ
ত্ৰয়োদশ বাৰ,—বখানিলে শত্ৰুপক্ষে
তেজ অসমৰ ;—যাৰ বল-বীৰ্য্য-কথা
ৰাষ্ট্ৰ ভাৰতত ; ইন্দ্ৰবংশী ৰাজকুল
অসম প্ৰতাপে আজি অগ্ৰগণ্য কৰি
ৰাখিছে যি ধৰি ; সেই বীৰ সেনাদলে
মানিছে অধ্যক্ষ মোক নিজে তুষ্ট হই,
উচ্চাৰিছে জয়ধ্বনি মোৰ নাম লই !
ইহেন গৌৰৱ-আশা, লভি ভাগ্যবলে,
ৰণমদে মাতি উঠে দেহ-মন মোৰ,
—উলাহ নধৰে প্ৰাণে !
পাঃ ফুঃ।—চোৱাঁ সৈন্যগণ !
কেনে বীৰ সেনাধ্যক্ষ মিলিছে আমাৰ,
কিযে ভাগ্যে পালোঁ আজি নেতা গদাপাণি !
যাৰ বাহুবল-কথা ৰাষ্ট্ৰ চৰাচৰে,
যাৰ নামে পায় বল বিমুখ সেনানী,
সেই গদা নিজে নেতা !—কি ভয় আমাৰ—
পৃথিৱী জিনিব পাৰোঁ !
সৈন্যগণ।—জয় গদাপাণি জয়।
পাঃ ফুঃ।—বোলাঁ ঘূৰিবাৰ।
সৈন্যগণ।—জয় ভাবীৰাজ জয়।
গদা—বাঢ়িছে উলাহ,
বাঢ়ে যেন বাৰিষাৰ বেগৱতী নই !
পৰিছে মনত আজি তাহানিৰ কথা,—

তাহানি এপক্ষে হই আখৰাস্থলত
ধেমালিতে ৰণজয় কৰা। হৃদয়ৰ
আৰু এটি গুপুত বাসনা অন্তৰত
উঠিছে উথলি,--কতকাল মনে মনে
পালিছিলোঁ আশা, ৰণত বীৰেন্দ্ৰ নাম
লভিম এদিন বুলি; শত্ৰু দলনত
বাহুবলে সাৰ্থকতা লভিবৰ গুণে,
কত ভাব পালিছিলোঁ এই হৃদয়ত,
কত ভাব উঠিছিল বিৰিঙ্গি এদিন;
তেজেৰে বোৱাই নই চকুৰ তৃপিতি
লভিম এদিন বুলি বান্ধিছিলোঁ যিবা
কঁকালত তৰোৱাল মোৰ! আজি সেই
বাসনাৰ, পূৰ্ণ দিন চাপিছে ওচৰ,
চাপিছে বাঞ্ছিত ফল সেই সাধনাৰ,
মুগ্ধকাৰী স্নিগ্ধপ্ৰভা অমিয়া সুখৰ,
বিয়পিছে হৃদয়ত পৰাণ জুৰাই,
আগন্তুক সৰ্ব্বসিদ্ধি, বিধিৰ বিধানে,
চাপিছে ওচৰ দেখি! অপাৰ আনন্দ
হিয়াত নধৰে মোৰ!

সৈন্যগণ।—জয় গদাপাণি জয়।

পাঃ ফুঃ।--বোলাঁ ঘূৰিবাৰ।

সৈন্যগণ।—জয় ভাবীৰাজ জয়।

গদা।—মুহুৰ্ম্মুহু জয়ধ্বনি
উচ্চাৰিছে যত, উথলি উঠিছে তত
দেহ-মন-প্ৰাণ প্ৰতিপলে প্ৰতিপদে
ৰণ উদ্দেশ্যত! বজোৰাঁ বজোৰাঁ ঘনে,
বজোৰাঁ ৰণৰ চেও, বজোৰাঁ তালত,
তালে তালে নাচি উঠি, বীৰ খোজে আমি,
উলাহত আগ বাঢ়োঁ ৰণ অভিমুখে!
চেৰে চেৰে ধৰোঁ খোজ, গণি প্ৰতিপদ,
প্ৰতিপদে শুভক্ষণ মানি;—আমাসাৰ
বাহুবল দেখোক জগতে, স্বৰ্গহস্তে
দেখে যেন দেৱগণে। উঠিছে হুঙ্কাৰ
অন্তস্থল এৰি মোৰ, দেখি সমুখত
সিংহৰ চিকাৰ,—মোহাৰি হৰিণাদল
একে আক্ৰমণে,—দিম পৰিচয় আজি
যি হেতু গদাৰ বাহু দুৰ্জ্জয় ৰণত।
বাঢ়োঁ আগ, ধৰাঁ পাচ, হেৰা বীৰগণ!
পদে পদে চমু কৰোঁ পৰীক্ষাৰ স্থল,
ৰণত বিজয়ী নাম লভিবৰ গুণে।
ৰাতি-দিন একে সাজ, একে অভিপ্ৰায়,
সকলো একেটা আজি এক লক্ষ্য ধৰি;
--'জিনিম শত্ৰুক, কিম্বা পৰিম ৰণত'—
বীৰশয্যা আছে পতা যশোস্তম্ভোপৰি,
চিৰশান্তি চিৰকীৰ্ত্তি লভিবৰ গুণে।
সমুখীন সংগ্ৰামত উঠন পতন,
উভয়তে সমভাগ্য,—ভাগ্যধৰ আমি
আজি সকলোটি,- জিনিম জগত আঁঠা,
আঁঠা আগ বাঢ়ি।

সৈন্যদল। জয় গদাপাণি জয়।

(উত্তেজিত হৈ প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

ৰজাৰ চ'ৰা

বুঃ গো। আন ধৰি আছে কোন্
বিচাৰত আজি। ৰাজদ্ৰোহী অপৰাধী
হব লাগে থিয়।

কটো।—ভাল, দেউতা-ঈশ্বৰ। (প্ৰস্থান)

ৰজা।--নাবাছিবা কাকো।
সৰু-বৰ, জ্ঞানী-মূৰ্খ, মুনিহ-তিৰোতা,
যাৰে দেখা শত্ৰুভাব সিংহাসনলৈ,
তুৰন্তে বধিবা তাক, নতু শাস্তি দিবা।
—সুভুলিবা কাকুতিত!

বুঃ গোঃ।—সুভুলোঁ কাচিত।
নালাগে বুজাব মোক। দেখি আছা নিতে,
এৰিছোঁ নে কোনো জন, কিবা কাৰণত,
এফেৰি যদ্যপি পাওঁ ছিদ্ৰ কাৰো গাত?
—কঠিন বিচাৰ মোৰ।

মৰাণ-বৰুৱা।—সঁচা, ডাঙ্গৰীয়া!

এৰা নাই কোনোজন, কৰা নাই ত্ৰুটী

লঘু পাপে গুৰু দণ্ড দিবলই তুমি!

মমতা, নৰম ভাব, কৰ্কশীয়া কৰি,

কৰিছা কঠিন হিয়া, দিনে দৃঢ়তৰ,

—শিলেৰে বান্ধিছা বুকু!

ৰজা।—তাতো যে নপৰে ওৰ

ৰাজদ্ৰোহী লেখ! ঘৰে-পৰে, বাটে-ঘাটে,

দুজন লাগিলে লগ, আলচে অহিত।

কাহানি পৰিব অন্ত দুৰন্তৰ দল,

ভাবি অন্ত নাই!

মঃ বৰুৱা!—লাগিছে নে কব আৰু।

গছ-লতা লগ লাগি পাতে যেন কথা,

ৰাজদ্ৰোহী ভাবে! চৰায়ে কিৰিলি মাৰি,

পাতি যায় উৰি উৰি, তললই চাই,

ৰাজদ্ৰোহীকথা!

(এজনী অপৰাধিনীক লৈ কটোৱালৰ প্ৰৱেশ)

কটো।—স্বৰ্গদেৱ! নিবেদন,—

গুৰুতৰ অপৰাধ এই তিৰোতাৰ।

টিপতে বুলাই হাত, ভেলেকী বাণেৰে,

মাতি থকা নেওঠনী চলালে নিমাতে,

চাপিলোঁ ওচৰ যেই। মৰতী তিৰোতা।

কেতিয়া যে কৰে কি, কিবা ঠিক তাৰ,

এনে দুৰ্দ্দিনত।

বুঃ গোঃ।—স্বৰূপ ধৰিছে কথা।

কোনে পায় তিৰোতাৰ আশ! আৰু জানাঁ,

তিৰোতাই বিবাদৰ যতেক কাৰণ।—

জয়মতী কাল হ'ল, এই অশান্তিৰ;

—বুজিবাঁ প্ৰমাণ।

ৰজা।—নাক-কাণ কাটি শাস্তি

দিবা যথোচিত! ক্ষমা নাই, ক্ষমা নাই,

জানিবা নিশ্চয়।

অপৰাধিনী—সৰ্কদেও ইস্পৰ! বেটীয়ে—

কটো।—নবজাবি মুখ।

ৰজা।—শুনোঁ বাৰু কিবা কয়

কটো।—ক, কি ক'ব খোজ।

অপৰাধিনী।—সৰ্কদেও ইস্পৰ! বেটীয়ে ভালকে কব গোনাইছিলোঁ। বোলোঁ, বেটীৰ বৰ ভাইগ; নাক-কাণ কাটিয়ে এৰিবলৈ হ'ল। কথাতে কয় বোলে, "কাটে যদি নাক-কাণ থাম আলেজালে, কটা গলে চুলিটাৰ পাম কোন্ কালে"!

ৰজা।—এৰি তেন্তে নাক-কাণ,

ধৰিবি চুলিত।

কটো।—যিবা আজ্ঞা স্বৰ্গদেৱ!

(অপৰাধিনীক লৈ কটোৱালৰ প্ৰস্থান)

ৰজা।—লগা নাই ভাল একো!

বুঃ গোঃ।—আছে দোষী আৰু।

আনিছে এজাক ধৰি ৰাতি দুপৰত,

গুপুতভাৱে মেল পাতি থাকোঁতে ঘৰত।

পাতিছিল কিবা জানি ৰাজদ্ৰোহ কথা;

নহলে, নীৰলে বহি কুটুম্বৰ দলে,

কৰিব মন্ত্ৰণা কিবা?

ৰজা।—আমাৰে অহিত,

আলচিলে কিবা জানো! বিহিবাঁ এতেকে

গুৰু দণ্ড সবাৱকে।

বুঃ গোঃ।—চাপি আহ, চাওদাং।

চাওদাং।—(প্ৰৱেশ) চাপিছোঁ ওচৰ।

বুঃ গোঃ।—কাৰি লই চকু, ঘিলা,

জাৰণীত দিবি মেলি;—মৰোক বাগৰি

ৰাজদ্ৰোহী দল!

চাওদাং।—ভাল, দেউতা-ঈশ্পৰ! (প্ৰস্থান)

ৰজা।—আছে নে কোনোবা আৰু?

বুঃ গোঃ।—আছিল বিস্তৰ।

ৰজা!—কিবা কোৱাঁ পিচে, তুমি?

বুঃ গোঃ।—লাগিছে বিষম!

নোৱাৰোঁ তিষ্ঠিব আৰু বিচাৰ-চৰাত।

লৰে যেন ঘৰ-বাৰী, কয় কিবা কথা!

আকাশত দেখোঁ আৰু, গিলিছে ৰাহুৱে

লাহে লাহে তৰা চন্দ্ৰ পূৰ্ণ গৰাহত!
নবহে কাৰ্য্যত মন, দুৰ্ব্বল হৃদয়!
—প্ৰতিক্ষণে দেখোঁ কিবা!
ৰজা—মোৰো একে দশা!
থোৰাঁ তেন্তে আজিলই ৰাজকীয় কথা।
শান্তি নাই কিন্তু হাঁয়, বাহিৰে ভিতৰে,
নাই শান্তি লেশ!—কিবা চিন্তা, কিবা ভাব,
জিলিমিলি কিবা, দেখিছোঁ সভয়ে সদা!
প্ৰতিক্ষণে ধৰে যেন, কালান্তক যমে
নৰক উদ্দেশে মোক!—এৰোঁ আজিলই,
যোৰাঁ সৱে ঘৰাঘৰি।
(প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

ৰাজমাওৰ টোল

ৰাজমাও।—সঁচা নে কি ডাঙৰীয়া!
আহিছে উজাই বোলে বৰফকনেৰে,
ৰণসাজে গদাপাণি? বিষম আক্ৰোশ
জানাঁ, ইবাৰ গদাৰ,—বধি ল'ৰা-ৰজা,
লব কাঢ়ি সিংহাসন নিজ বাহুবলে।
বাজিছে বিষম মাতৃৰ বুকুত মোৰ!
ৰজা হোক গদাপাণি, নাই মোৰ খেদ,—
আনন্দত বাজে মই নকৰোঁ আক্ষেপ,
—ৰজা ভাঙ্গি এৰে যদি প্ৰাণে মোৰ 'ল'ৰা'।
কিন্তু হাঁয়, কিবা জানি, বধিব বাছাক,
ৰাজদ্ৰোহী দলে!—কি হ'ব উপায় তাৰ,
কোৱাঁ ডাঙৰীয়া!
বঃ গোঃ।—সঁচাকে' আহিছে গদা।
কিন্তু ভয় দেখা নাই ল'ৰা-ৰজালই,
নবধে জানিছোঁ প্ৰাণে। আৰু জানোঁ, মাও!
ৰক্তপাত পাৰ্য্যমানে নকৰে ফুকনে;
অহা নাই দিবলই ৰণ, পাৰে যদি
নিৰ্ব্বিবাদে সাধিব উদ্দেশ্য। শান্তি স্থাপি
যাব আহি; এয়ে জানো, ইচ্ছা ফুকনৰ।

ৰাখিম যতন মৱো, নিৰ্ব্বিবাদে যাতো
কাৰ্য্য সিদ্ধি হয়।
ৰাজমাও।—নেমানে পৰাণে মোৰ!
কিবা পালা ঠিক নহ'ব যে ৰণ আগে?
সহজে নেৰিব চাবাঁ, ৰাজপাট-মোহ,
দুৰ্ম্মতি ল'ৰাই। তাতে লগ, দেখি আছাঁ,
কু-মন্ত্ৰী প্ৰধান। এৰে যদি ল'ৰাৰাজে
নেৰিব নিশ্চয় সেই পাষণ্ড মন্ত্ৰীয়ে;—
বিনাৰণে কদাপিতো নিদিব সোমাব
মন্ত্ৰী-ফুকনক।
বঃ গোঃ। -স্বৰূপ কইছা মাও!
নেৰে সি পাষণ্ডে। নিৰ্ব্বিবাদে কদাপিতো
নিদিব সি পৰি শান্তি স্থাপনৰ বাট;
ভেটা দি নগাব লেঠা ৰাজসেনা দলে,
--গাজিছে মনত।
ৰাজমাও।—কি হ'ব উপায় তেনে।
বঃ গোঃ।—ভাবোঁ, কিবা পাওঁ।
ৰাজমাও।—ভাবাঁ, ডাঙৰীয়া!
দিয়াঁ কিবা সদুপায়, ৰাখাঁ মোৰ প্ৰাণ।
বধিলে বাছাক জানাঁ, নেবাঁচে ই প্ৰাণ,
তুৰন্তে এৰিম দেহা।
বঃ গোঃ।—নহ'বাঁ অধীৰা।
লাগিছে নে ক'ব মোক, টানি আৰু কিবা?
আগেয়ে কৰিছোঁ স্থিৰ, সিদ্ধি যাতে হয়,
বিনা ৰক্তপাতে কাম, কৰিম যতন।
নকৰোঁ অন্যথা জানাঁ।
ৰাজমাও।—কিন্তু, জানাঁ তুমি,
কূটবুদ্ধি কুটিলতা তৰিব পাষণ্ডে;
মানিব প্ৰত্যয় তাতে হতবুদ্ধি ল'ৰা!
কি হ'ব উপায় তাৰ?
বঃ গোঃ—উপায় পাচত হ'ব।
ৰাজমাও।—মিলিলে সঙ্কট,
ঔষধে নিদিয়ে গুণ, জানাঁ ডাঙৰীয়া!
বঃ গোঃ।—হয় যদি ৰক্তপাত,

তথাপি ৰজাৰ প্ৰাণ, ৰব কোনোমতে।
নোৱাৰে ৰাখিব ভেটি মন্ত্ৰী ফুকনক,
গদাপাণি সেনাধ্যক্ষ যাৰ। ৰাজসেনা
বিতুষ্ট সততে;—যুজিব যে মন পাৰি,
নধৰে মনত।

ৰাজমাও।—শুভাশুভ তুমি জানা।
সৰ্ব্ব আশা তোমাতেই ৰাখিলোঁ জানিবা।
ৰাখাঁ যদি ল'ৰা, ৰাখিবাঁ ই প্ৰাণ মোৰ।
নতু এয়ে শেষ; নেদেখিবা ঘূৰি মোক,
নেদেখাঁ জীৱন্তে।

বঃ গোঃ।—স্থিৰ হোৱাঁ ৰাজমাও!
কৰিছোঁ প্ৰতিজ্ঞা, নহ'ব যত্নৰ-ত্ৰুটী;
প্ৰাণপণে চাম, ল'ৰা-ৰজা বাঁচে যাতে,
—থাকে নিৰাপদে। যাওঁ এবে কৰোঁগই
যুগুত উপায়।

(প্ৰস্থান)

ৰাজমাও।—কোনে ভিক্ষা দিব আজি,
ল'ৰা-ৰজা প্ৰাণ! পুত্ৰপ্ৰাণ কৰি দান,
দুখুনী মাতৃক যদি ৰাখে কোনোবাই,
হম চিৰঋণী। (মৌন)

(প্ৰাৰ্থনা)

হে প্ৰভো! অনাথ নাথ! ৰাখাঁ ই মিনতি,
পুত্ৰ-প্ৰাণ দান কৰি ৰাখাঁ এই প্ৰাণ।
অবোধ সন্তান প্ৰভো! ক্ষমা কৰা দায়,
নতুবা পৰাণ লোৱাঁ তাৰ হস্তে মোৰ!
অন্তৰ্য্যামী প্ৰভু তুমি জানাঁ সমুদায়,—
দোষী কোন্ স্বৰূপত, অশান্তি-কাৰণ।
অস্ত্ৰই নেকাটে একো, কাটেঁ।তা মানুহ,—
ৰজাৰ আদেশ নামে, মন্ত্ৰী আদেশোঁতা।
এতেকেতে দয়াময়, নিজ দয়া গুণে,
বিতৰি কৰুণাৰাশি দিয়াঁ ভিক্ষা এই;—
ল'ৰা-ৰাজ প্ৰাণ ৰাখি, ৰাখাঁ মোৰ প্ৰাণ।

(মৌন)

যাওঁ হাঁয়, কৰোঁগই
যুগুত বিধান; আপদত ইষ্টদেৱ
পূজা বিধি সাৰ।

(প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

ৰজাৰ চ'ৰা

ৰজা।—বুৰোঁ হাঁয়, এতিয়া হে!
কিবা গতি হ'ব মন্ত্ৰীবৰ? ৰক্ষা নাই
দেখিছোঁ ইবাৰ;—ৰণ-বলে গদাপাণি
সোমাল নগৰ!

বুঃ গোঃ।—যিবা আছে কপালত
ঘটিব ত্বৰিতে। কিনো কম স্বৰ্গদেৱ!
কি দিম উপায়, বিমোৰ আপুনি মই।
ৰক্ষা নাই জানিছোঁ ধ্ৰুপ, ঘাটে যদি
ৰাজ-সেনা। শেষফল বাজিছে বিষম!
এৰিলে এৰিব পাৰে নবধি তোমাক;
নেদেখোঁ নিস্তাৰ কিন্তু, নেৰিব নিশ্চয়,
জীৱন্তে আমাক!

ৰজা।—কিবা ঠিক পালাঁ তাৰ?
প্ৰতিশোধ ভুলি, এৰিব নে প্ৰাণে মোক
গদাপাণি বীৰে!

বুঃ গোঃ।—নেভাবিবা অসম্ভৱ।
ৰজা ভাঙ্গি প্ৰতিশোধ লব পাৰে শেষ।
কিন্তু হাঁয়, আমাসাৰ নাই পৰিত্ৰাণ,
নাই অন্য গতি!

বৰপাত্ৰ।—ডুবিলোঁ ডুবিলোঁ হাঁয়,
গলোঁ ৰসাতলে!

বঃ গোঃ।—নহ'বা বিমোৰ সৰে।
স্থিৰ কৰা মতি এবে, আলচা উপায়,
ৰক্ষা পৰে ৰাজ্য যাতে আপদৰপৰা।
হোৱা যদি বিচলিত ইহেন সময়,
ৰাখে কোনে আজি?

বুঃ গোঃ।—নাই সদুপায়।
আত্মৰক্ষা নাই যাৰ, পৰৰক্ষা হেতু
আছে তাৰ কিবা বল!
ৰজা।—নকবাঁ সি কথা!
নেৰিবাঁ নেৰিবাঁ মন্ত্ৰী, নেৰিবাঁ হে মোক
এনে ঘোৰ বিপদত নেৰিবাঁ অকলে।
জানোঁ তুমি, তোমাতেই সকলো ভাৰসা,
তোমাৰ বুদ্ধিতে মোৰ যত কৰ্ম্মফল!
মহাপাপে চুব, যদি এৰাঁ তুমি এবে,
এইহেন আপদত।
বুঃ গোঃ।—চুব ক'ত পাপে
পাপৰ মলিবে ঢকা এই শৰীৰত?
অথাই আপদ মাজে আছোঁ নিজে ডুবি,
উদ্ধাৰোঁ কি ৰূপে আশ্ৰিত জনক?
আৰ্জ্জিলে ভুঞ্জিব লাগে, নাই অন্য গতি,
পাপৰ সমানে তাপ।
বঃ গোঃ।—কিয়নো আৰ্জ্জিলাঁ
জানি-শুনি পাপ তুমি? মিলালাঁ তুমিয়ে
অতনা বিপদ আজি!
বুঃ গোঃ।—নকবা সি কথা।
বঃ গোঃ!—শত বাৰ লাগে কব।
বুঃ গোঃ।—কিয় দিবাঁ দায় মোত?
বঃ গোঃ।—সৰ্ব্বদোষী তুমি।
তোমাৰে মন্ত্ৰণা-ফল সমস্তে ইসৰ।
বুঃ গোঃ।—কিয়বা শুনিলে আনে?
বঃ গোঃ।—বিজ্ঞ মন্ত্ৰী ভাবি।
জনা হলে এনে তুমি, নেৰাখে সঞ্জাত।
বুঃ গোঃ।—নাৰাখোঁ সঞ্জাত ময়ো।
মুভুলোঁ তোমাক কিন্তু, জানা স্বৰ্গদেৱ
মিলিম তুনাই।
(উচাৎ মাৰি প্ৰস্থান)
ৰজা।—সৰ্ব্বনাশ!
এতিয়াহে ডুবিলোঁ সমূলি।
বঃ গোঃ।—ভালকে বুলিছোঁ আমি,
এবে যদি শনিগ্ৰহে ইমানতে লগ।
আছে যদি পৰিত্ৰাণ, ভাগাবলে তৰ,
মৰণ নিশ্চয় ভাবি কিবা ফলোদয়?
প্ৰাণলই মায়া অত ৰাখা যদি তুমি,
এৰাঁ ৰাজ্য-মায়া। নিৰ্ব্বিবাদে দিবাঁ এৰি
ৰাজ-সিংহাসন, ঘাটে যদি ৰাজসেনা;
—পাবাঁ পৰিত্ৰাণ। ধৰাঁ যদি উপদেশ
এনে সময়ত, কৰিম যুগুতি যিবা,
বঁচাবৰ হেতু।
ৰজা।—কিনো কম, ডাঙ্গৰীয়া,
তৱ গুণ কথা! নিচিনিলোঁ বন্ধুজন,
নধৰিলোঁ আগে, তৱ সজ উপদেশ!
চিনিছোঁ এতিয়া, চিনালে বিপদে মিত্ৰ;—
পালিম নিশ্চয় সাৰ উপদেশ তৱ।
কৰাঁ ডাঙ্গৰীয়া! যিবা ভাল দেখা তুমি,
ৰাখা বিপদত।
বঃ গোঃ!—নিশ্চিন্তে থাকিবা তুমি।
ভাবিছোঁ বিস্তৰ তোমাৰ ৰক্ষাৰ হেতু;
আছে আশা, বঁচাম তোমাৰ প্ৰাণ।
সময় চাপিল আহি, নকৰোঁ পলম,
যাওঁ এবে কৰোঁগই যথা আয়োজন,
ৰণ ৰক্ষা হেতু।
(প্ৰস্থান)
বৰপাত্ৰ।—উঠোঁ এবে স্বৰ্গদেৱ!
যাওঁ ময়ো, চাওঁগই আত্মৰক্ষা পথ!
(প্ৰস্থান)
ৰজা।—সকলোৱে দিছে এৰা
বিপদৰ বেলা, সম্পদত যিবিলাক
নলে-গলে-গাঁথা, প্ৰাণৰ সোদৰ সম!
আপদে চিনালে আজি, শত্ৰু মিত্ৰ জন;—
অত কৰি এটি শিক্ষা, আৰু এটি জ্ঞান,
আৰ্জ্জিলোঁ অন্তত!
(নেপথ্যত ৰণবাদ্য)
অহ, হঃ, সৰ্ব্বনাশ!

পালেহি পালেহি হাঁয়, চাপিল ওচৰ
অন্তিম সময় মোৰ! (উত্ৰাৱল হৈ প্ৰস্থান)

পঞ্চম গৰ্ভাঙ্ক

সিংহদুৱাৰ

গদা।—ডাঙৰীয়া!
দক্ষিণে দেখিবাঁ তুমি; বাৱেঁ
ৰব ৰাজখোৱা; সমুখত যাম মই;
গুৰিধৰা ৰল বাব পানী-ফুকনৰ!
চাৰি ভাগে সেনাদল হ'ব লাগে ভাগ,
ভাগে ভাগে ৰণমুখে। সমুখে যেতিয়া
আক্ৰমিম মই,—যেনে ভাঙি গুল্মবন,
সিংহে গই আক্ৰমে গজক,—সেই বেলা
ৰাখিবাঁ দুপাশে দুয়ে আগছি শত্ৰুক।
পাচত ৰখীয়া দিলোঁ পানী-ফুকনক,
পলাব নোৱাৰে যাতে কেৱেঁ কোনো ফালে,
নৰয় এজনো যাতে বাৰ্ত্তা দিবলই।
নিৰ্ব্বিবাদে বাট লই পশিম নগৰ;
প্ৰথমে বেৰিম গই ৰজাৰ কাৰেঙ্।
পত্নীবৈৰী, নৰঘাতী, পাপী, দুৰাচাৰ,
দেখিম আজিহে সিনো কিমানৰ বীৰ!
স্বহস্তে বধিম আজি, দুষ্ট নৰাধম!
কৰিম তৰ্পণ মোৰ প্ৰিয়া-অপমান,
তেজেৰে ৰাঙলি কৰি এই তৰোৱাল।
বাজ শিঙা, বাজ ভেৰি, বাজ ঢাক্-ঢোল,
বাজ আৰু ৰণবাদ্য, যাৰ হাতে যিবা,
বাজোক সকলো মিলি একে উছাহত,
নাচোক হৃদয় মোৰ ৰণ ৰহস্যত,
উঠোক উতলি বীৰতেজ।
(ৰণবাদ্য বাজে)

পাঃ ফুঃ।—জয় গদাপাণি জয়!

সেনাদল।—জয় ভাবীৰাজ জয়!

গদা।— নাচিছে হৃদয় ঘনে,
নাচে মোৰ তেজৰাশি সিৰে সিৰে বই;
ৰণমদে মতলীয়া হইছে পৰাণ।
সিদ্ধি হ'ব আজি মোৰ গুপুত বাসনা;
মিলিছে সুযোগ, সংযত বাহুবল
বিকাশৰ হেতু। ভাগ্যধৰ আজি মই,
ভাগ্য মোৰ আজি হেন দিনে। ধন্যবাদ
ডাঙৰীয়া! ৰাজখোৱা! পানী-ফুকনক!
ধন্য সেনাগণ!

বঃ ফুঃ।—ধন্য বীৰ গদাপাণি!
ধন্য বীৰবাহু! ভাগ্যবলে পালোঁ আজি,
তোমাহেন যোগ্যজন ৰাজপাটলই,—
শান্তিৰক্ষা হেতু।—শান্তিৰক্ষা কৰা আজি
তোমাৰ প্ৰথম কাম। শলাগোঁ তোমাৰ
অসম বীৰৰ তেজ,—জিনিবাঁ ৰণত।
কিন্তু, বীৰবাহো! ৰাখা এটি অনুৰোধ,
ৰাখি তৱ ৰণতেজ আপুনি দমাই;
—ৰক্তপাত উদ্দেশ্য নহয়। শান্তি ভিক্ষা
তব ঠাই মাগিছে প্ৰজাই, সাধা কাম
বিনা-ৰক্তপাতে।

গদা।—অযুগুত অনুৰোধ
কিয় কৰা তুমি? বিনাৰক্তে ৰণতৃষ্ণা
পলাম কিমতে! নধৰিবাঁ ডাঙৰীয়া,
নকৰাঁ আমনি।
(ৰাজকীয় সেনাদলৰ প্ৰৱেশ)

গদা।—আহাঁ মোৰ সেনাগণ!
আহাঁ আগুৱাই, বিজুলীচমকে গই
নাশোঁ শত্ৰুদল।
(খেদি যায়)

বঃ ফুঃ।—নোহে শত্ৰু। মিত্ৰদল
আহে আগ বাঢ়ি, তোমাৰ শৰণ আশে।
বীৰ ধৰ্ম্ম পালি, আশ্ৰিতে আশ্ৰয় দিয়াঁ;
—ৰাখাঁ অনুৰোধ।

গদা।—কিবা কোৱাঁ ডাঙৰীয়া!
নামানোঁ তোমাৰ অযুগুত অনুৰোধ
ইথিনি পৰত। কিমতে চিনিছা তুমি,

শত্ৰু, মিত্ৰ কিবা, ৰণসাজে ৰণস্থলে
সমুখীন সেনা ?

বঃ ফুঃ।—চিনিছে অন্তৰে।
পাৰাঁ পৰিমাণ তাৰ ; মুহূৰ্ত্তে পশিব
আহি শৰণ তোমাৰ।

ৰাঃ সেনাপতি।—আগ বাঢ়াঁ সেনাদল ;
আক্ৰমি বিক্ৰমে এই ৰাজদ্ৰোহী দল,
নিপাতোঁ নায়ক। যদ্যপি পৰাণ মোৰ
কান্দিছে নীৰৱে, আসুৰিক অত্যাচাৰ
দেখি নিৰন্তৰ দুৰ্ম্মতি ৰজাৰ হাতে,
তথাপিতো নিপিছলোঁ কৰ্ত্তব্যৰ পৰা।
যুঁজিম প্ৰাণান্তে, ৰাজদ্বাৰ ৰক্ষা হেতু ;
—নডৰোঁ গদাক।

গদা।—কোন্ সিটো নৰাধম,
শিয়ালৰ নেতা, সহে মোৰ বাহুবল,
ৰোধে মোৰ গতি!

(তৰোৱালেৰে যুদ্ধ কৰি কৰি গদা আৰু
সেনাপতি আঁতৰ হয়)

পাঃ ফুঃ।—(পিচৰপৰা আঙ্গুলিয়াই) চোৱাঁ কেনে বিচক্ষণ
তুমুল সংগ্ৰাম, পাতিছে দুজন বীৰে
বিষম বিক্ৰমে ;—গজে সিংহে লৰে যেন
মেদিনী কঁপাই!—উফৰিছে ফিৰিঙ্গতি
প্ৰতি আঘাতত, ধাৰে পৰি তৰোৱাল
তৰোৱাল ধাৰে! প্ৰতি ঘাপে পালটিছে
বীৰ সেনাপতি, প্ৰতি লাফে আক্ৰমিছে
উলটি গদাক,—শৰবিদ্ধ বাঘে যেন
ধৰিছেহি উলটি ব্যাধক! কিন্তু চোৱাঁ,
অতুলন বীৰতেজ বীৰৰ বিক্ৰমে
নিবাৰিছে শত্ৰু আক্ৰমণ,—গদাপাণি
নহটে কিঞ্চিৎ! চোৱাঁ, চোৱাঁ, হাঁয়,
আক্ৰমি ইবাৰ—গজোপৰি সিংহ যেন—
ভীম আক্ৰোশেৰে নিপাতিলে সেনাপতি!
—পৰিল ৰণত!—ধন্য, ধন্য, গদাপাণি!
ধন্য বীৰবাহো! ধন্য তব ৰণতেজ,
ৰণৰ কৌশল!

(গদাপাণি উলটি প্ৰৱেশ কৰে)

গদা।—আহ, আৰু আছ কোন্
প্ৰাণ দিবলই? বাঢ়িছে পিপাসা মোৰ,
বাঢ়ে চতুৰ্গুণে, কেঁচা তেজ গোন্ধ পাই
বীৰ নায়কৰ!

ৰাজকীয় সেনাদল।-বিনা ৰণে দিছোঁ বাট,
মাগিছোঁ শৰণ।

(অস্ত্ৰ-শস্ত্ৰ পেলাই আঁঠু লয়)

ৰাজখোৱা।—মানিছা শৰণ সৱে ?

ৰাঃ সেনাদল।—মানিছোঁ শৰণ।

পানীফুকন।—অহ, হেৰাল সুযোগ!--
নুপূৰিল হায়, মোৰ প্ৰাণৰ বাসনা
ৰণৰ মাজত পশি বীৰ নাচোনেৰে
নাপালোঁ নাচিব আজি, নচুৱাই মোৰ
খোলা তৰোৱাল! নপশি শৰণ আজি
ৰাজসেনাদলে, দিয়া হলে যুঁজিবৰ
ছেগ এটিবাৰ!

গদা।—ৰাজদ্ৰোহী, ৰণত্যাগী,
বিশ্বাসঘাতকী, ঘোৰ অপৰাধী দল!
কি বুলি এৰিবি ৰণ, কৰ্ত্তব্য পাহৰি?
নকৰোঁ যদ্যপি ৰণ পৰাভূত হ'তে,
নাই কাৰো পৰিত্ৰাণ, নকৰোঁ মাৰ্জ্জনা!—
বন্দী সৱ সেনা। উচিত বিচাৰ হ'ব
যথা সময়ত।

বঃ ফুঃ।—নিৰ্দ্দোষী সিসৱ।

গদা।—নকবা সি কথা হেৰা!
ৰণভঙ্গ দিওঁতাৰ ক্ষমা ভিক্ষা নাই ;—
ৰাজসেনা ৰাজদ্ৰোহী, বিশ্বাসঘাতকী।
নসহোঁ কিঞ্চিৎ।

ৰাজখোৱা।—মানিছা নে পৰাভৱ
ৰাজসেনা দল?

ৰাঃ সেনাদল।—পৰাভূত হলোঁ সৱে।

পাঃ ফুঃ।- -দিব লাগে অস্ত্ৰ-শস্ত্ৰ
সমস্তে শোধাই।

(ৰাজকীয় সেনাদলে অস্ত্ৰ শোধায়)

গদা।—অন্ত আজি ইমানতে
—বন্দী সেনাদল।

পাঃ ফুঃ।—অন্ত ইমানতে!
নপৰিল অন্ত মোৰ আজিৰ উছাহ,
নিমিলিল এটি ছেগ নিজে লৰিবৰ!
সমুখ ৰণত হাঁয়, নাপালোঁ পশিব!
নিমিটিল ৰণতৃষ্ণা!

গদা।—বলা এবে, এতিক্ষণে,
ৰাজপুৰী আক্ৰমিব লাগে একেচিপে।
—ধৰা দ্ৰুতগতি।

(সকলোৰে প্ৰস্থান)

অঙ্কপাত

পঞ্চম অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

ৰজাৰ চ'ৰা

বৰগোহাঞি।- দূৰ হ'ল দুৰগতি
অত দিনে আজি; নিমাখিত প্ৰজাবৰ্গে
পালে পৰিত্ৰাণ! সাগৰত বুৰ দিয়া
ৰাজলক্ষ্মী ঘূৰি দেখা দিছে শিৰ তুলি;
ৰাজশ্ৰী বাঢিব পুনৰ। শলাগিছোঁ
মন্ত্ৰী-ফুকনক; ৰাইজৰ আশীৰ্ব্বাদ
পাব লাগে তেওঁ।

বৰফুকন। প্ৰশংসাৰ পাত্ৰ মই
নহওঁ প্ৰকৃতে। কাৰ্য্য মোত্ ৰব পাৰে,
অন্যত্ৰে কাৰণ, বুজিবা ধুৰুপ সৰে।
আপুনি উপায় কৰি গদাপাণি বীৰে
সহায় নোহোৱা হ'লে, সাধ্য কি নিবাৰোঁ
আমি মহা হুলস্থুল, নগৰত আহি?
যশভাগী আৰু প্ৰশংসাৰ যোগ্যপাত্ৰ
বীৰ গদাপাণি।

বৰপাত্ৰ।- -দুয়ো সত্য ডাঙৰীয়া!
শলাগোঁ দুয়োকে। কাৰণত কাৰ্য্য মিলি,
গুচালা অশান্তি, আৰু যত উত্পাত
হ'ল নিবাৰণ।

বঃ গোঃ। -তথাপি শলাগোঁ ঘূৰি
মন্ত্ৰী ফুকনক, শান্তি স্থাপনৰ হেতু,
শান্ত ভাৱে শান্তি ৰক্ষা কৰালে যি জনে।
নহলে, ৰথায় কোনে সেনানীৰ প্ৰাণ,
ৰাখি সিমানতে?

বঃ ফুঃ।- -নিজৰে ব্যৱস্থা আগ;
পিচত কাৰণ হই থিয় দিলোঁ মাথোঁ।
এতেকতে যশভাগ লোৱা আগে নিজে,
পাচে মোৰ ভাগ।

বৰপাত্ৰ।—দুয়োৰে সমান ভাগ
দেখিছোঁ অপৰে।

বঃ গোঃ। -যিবা হোক।
মূলকথা আলচোঁ এতিয়া।
হ'ব লাগে অভিষেক ৰজা গদাপাণি,
অনতিপলমে জানা।

বৰপাত্ৰ। শুভস্য শীঘ্ৰম্।

বঃ গোঃ। হ'ব লাগে আৰম্ভণ।
প্ৰচাৰ কৰিব লাগে, ৰাজনীতি মতে,
গদাপাণ অভিষেক কথা। হ'ব লাগে
শুভবাৰ্ত্তা নগৰত ৰাষ্ট্ৰ চউপাশে,
--অহা সাদিনত।

বঃ ফুঃ।—হোৱা নাই বিধিৱত।
তিনি মন্ত্ৰী একে ঠাই হ'ব লাগে আগে,
আলোচনা হয় যেবে ৰজা ভাঙিবৰ।
নাই দেখোঁ, 'বুঢ়া' জনা আজি? দিব লাগে
তেৱোঁ যোগ আহি।

বৰপাত্ৰ।—নাহে তেওঁ কদাপিও।

বঃ ফুঃ।—কি হ'ব উপায়?

বঃ গোঃ।—উপায় লাগিয়ে আছে,—
আছোঁ তিনি মন্ত্ৰী আমি, নালাগে সিজন।
নিবিচাৰোঁ আৰু।

বৰপাত্ৰ।—বিচাৰত মন্ত্ৰীবাব
বৰফুকনৰ পূৰ্ব্বাপৰ আছে ৰীতি।
ভাঙ্গিব পাতিব পাৰি, তিনি মন্ত্ৰী বহি,
—আছোঁ তিনি আমি।

বঃ ফুঃ। -নহয় অবিধি যদি—

বঃ গোঃ।—হ'ব বিধিৰত।
আপদত অযুগুত আৰু আছে বিধি।

বঃ ফুঃ।—ভাঙ্গিব আগেয়ে লাগে,
পাচেহে পাতনি। আগেয়ে প্ৰচাৰ হোক
ল'ৰা-ৰজা ভগা কথা, লগে লগে তাৰ
গদাপাণি অভিষেক জাননী যুগুত।
ভাবি চোৱাঁ চয়ে।

বঃ গোঃ।—সাৰুৱা প্ৰস্তাব।
কিন্তু এটি কথা,—হ'ব লাগে আগে স্থিৰ
ৰজাৰ নতুন নাম।

বৰপাত্ৰ।—'গদা' নাম প্ৰিয়তম
আছিল জযাৰ।

বঃ গোঃ।—ৰব লাগে এতেকতে,
সতীৰ সাদৰী নাম গদা কোঁৱৰৰ,
ৰাজকীয় বেশে।

বঃ ফুঃ।—মিলিছে আমাৰো মত।
মহাসতী জয়মতী, সাক্ষাৎ লখিমী,
আছিল যি নামে তুষ্ট, ৰব লাগে তাৰ
অভগন চিন্।

বৰপাত্ৰ।—'গদাধৰ'
হোক নাম গদা কোঁৱৰৰ?

বঃ ফুঃ।—বিতোপন নাম!

বঃ গোঃ।—বিতোপন সঁচাকই!
এয়ে স্থিৰ হ'ল আজি। কালি হস্তে বাৰ্ত্ত
হব লাগে নব নাম নতুন ৰজাৰ।

(গদাপাণিৰ ব্যগ্ৰভাৱে প্ৰৱেশ, আৰু সকলোৱে থিয় দিয়ে)

গদা।- ল'ৰা-ৰজা বধ হেতু
কি হ'ল ব্যৱস্থা? পোৰা হলে পোন্‌চাতে,
স্বহস্তে নিপাতি পূৰালোঁহেঁতেন মই,
প্ৰাণৰ হেঁপাহ।

বঃ ফুঃ।—ক্ষমা কৰাঁ বীৰবৰ।

গদা। নকৰাঁ ডনাই।
নবধিলে ল'ৰা ৰজা নহ'ব নিশ্চয়,
প্ৰতিজ্ঞা পালন মোৰ।

বৰপাত্ৰ। ৰক্ষিব প্ৰতিজ্ঞা,
ৰাজ্যচ্যুত হ'ব যেবে ল'ৰা-ৰজা কালি।
—তুলা প্ৰাণবধ।

গদা।—পাপীৰ তেজেৰে ধুই.
প্ৰিয়া-অপমান তৰ্পণ নকৰোঁমানে,
নৰজে প্ৰতিজ্ঞা।

বঃ গোঃ। —সাম্যভাব ৰাজধৰ্ম্ম
ধৰাঁ বীৰবাহো।—ৰণমদ ৰক্তপাত,
এৰাঁ সেই ভাব, শাস্তিদাতা এবে তুমি,
দিয়াঁ শাস্তি প্ৰজাপুঞ্জগণে। পৰিহৰাঁ
ক্ৰোধভাব ৰুদ্ৰৰূপ আশ্ৰিতৰ প্ৰতি।
শৰণে পশেহি যিটে, লভে সি কৰুণা,
প্ৰাণবৈৰী যদিবাও হয় সেই জন,
প্ৰাণদান দিব লাগে তাক। ল'ৰা-ৰজা
আশ্ৰিত তোমাৰ এবে, পশিছে শৰণ,
পৰাভূত হই। প্ৰাণবধ বিধিৰত
নহব কাচিত।

গদা।- সাৰুৱা তোমাৰ কথা।
কিন্তু, জানাঁ, তেন্তে নিমিটিল সাধ মোৰ
প্ৰতিশোধ লোৱা।

বঃ গোঃ।—প্ৰতিশোধ, বীৰবৰ,
সাধাৰণ কথা। যেয়ে-সেয়ে লব পাৰে
আত্ম-প্ৰতিশোধ, সুযোগ যেতিয়া মিলে।
কিন্তু, বীৰবাহো! প্ৰতিশোধ পৰিহৰা

বীৰৰ মহতী গুণ, নাই সকলোতে ;—
গমি চাবাঁ নিজে।

গদা।—যুক্তিৰে বান্ধিছাঁ মোক,
বুজিছোঁ বিশেষ। ক্ষমিছোঁ পাপীক বাৰু,
দিছোঁ প্ৰাণ-দান।

বঃ ফুঃ।—বীৰোচিত কাৰ্য্য তৱ,
শলাগোঁ অশেষ।

গদা।— কৰাঁ মিলি যিবা ভাল।
আহোঁ এবে মই। স্নান হেতু আছে ৰই
ৰাজ-গুৰুদেৱ।

(প্ৰস্থান)

বঃ গোঃ।—পুণ্যস্নান আগ-কাম
হ'ব আজি শেষ। অভিষেক আয়োজন
হ'ব লাগে পাচে।

বঃ ফুঃ।—পূৰ্ণসভা আবাহন,
অভিষেক দিনা, হ'ব লাগে যথাবিধি।
কছাৰি, জয়ন্তা, কোচ, কৰদ ৰজাৰ
যথাযোগ্য উপহাৰ ভেঁটিবহি আহি,
প্ৰতিনিধি চাপি।

বৰপাত্ৰ গোঃ।--মিত্ৰৰাজ মণিপুৰে
পাচিছে কটকী, ৰাজ-উপহাৰ সতে।
চাপিছেহি আজি।

বঃ গোঃ।—অভিষেক ৰাজসভা
অতি জমকাল হ'ব লাগে পাৰ্য্যমানে।
বাদশ্বাহ প্ৰতিনিধি হইছে প্ৰেৰিত ;
আহিছে বাতৰি।

বঃ ফুঃ।—হ'ব লাগে অভিষেক
যুবৰাজদ্বয়, ৰাজ-অভিষেক সতে।
--কেনে দেখাঁ দুয়ে ?

বৰপাত্ৰ গোঃ।—নেদেখোঁ অবিধি আমি।

বঃ গোঃ।—নেবাধে বিধিয়ে।
শুভকাৰ্য্য সমাপন, একে উছাহতে
ময়ো দেখো কৰা ভাল।

বঃ ফুঃ।—এয়ে যুক্তি স্থিৰ।

বঃ গোঃ।—আজিলই ইমানতে
হোক সমাপতি ; যাওঁ এবে সকলোটি,
শুভচিন্তা লই। (সকলোৰে প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

হোলোং ঘৰ

(চাঙ্গৰ ওপৰত গদাধৰ, তলত এটা মানুহ আৰু বিবিধ জন্তু, চাৰিচুকে চাৰিজন প্ৰহৰী, দেওধাই, বাইলুং)

দেওধাই।—ৰোৱা হল আয়ুবৰ,
চৰাইদেউ স্বৰ্গত, স্বৰ্গীয় বিধানে।
স্নান কৰি স্বৰ্গদেৱে,—পাটচৰা উঠি—
লইছে আসন আহি হোলোং ঘৰত।
ধৰা হোক এবে, অভিষেক শান্তিকৰ্ম্ম
ৰীতি-বিধি মতে।

বাইলুং।—ভূভাগৰ অধীশ্বৰ
আজি স্বৰ্গদেৱ, মৰতৰ জীৱজন্তু
শাসনৰ হেতু।—সমস্ত জীৱৰ হই,
জীৱশ্ৰেষ্ঠ নৰ এটি বহিছে তলত,
শৰণ জনাই। ইষ্টদেৱ চোমদেউ
বুকুত ধাৰণ, ৰাজচিহ্ন হেঙ্গদান
ধৰিছে কৰত। হ'ব লাগে হোলোঙৰ
কাৰ্য্য আৰম্ভণ।

দেওধাই। বংশমূল ইন্দ্ৰদেৱ!
তুষ্ট হোৱাঁ প্ৰভো! বংশধৰ গদাধৰ,
তৱ নামে পৃথিৱীত, হোক ৰাজ্যেশ্বৰ ;
--দিয়াঁ আশীৰ্ব্বাদ।

(সোণৰ জাৰীৰে শান্তি-পানী ৰজাৰ শিৰত দেওধায়ে ঢালে, আৰু সেই পানী ৰজাৰ গাইদি বৈ গৈ তলৰ মানুহ আৰু জন্তুবোৰৰ ওপৰত পৰে)

তৃতীয় গৰ্ভাঙ্ক

ৰজাৰ ভিতৰ-চ'ৰা

ৰজা।—ঘোৰ পৰিণাম!
নাভাবিলোঁ আগ আৰু নুগুনিলোঁ পাচ,

কুমন্ত্ৰণাৰ বশ হলোঁ, বৰ্ত্তমান ভাবি!
ভাবিছিলোঁ চিৰকাল যাব একে ভাৱে,
অখণ্ড প্ৰতাপ মোৰ নহ'ব খণ্ডন।
কিন্তু, এবে পালোঁ তাৰ বিপৰীত ফল,
জীৱন্তে যন্ত্ৰণা ঘোৰ।

বুঃ গোঃ—কিনো কম স্বৰ্গদেৱ।

ৰজা।—ওহোঁ স্বৰ্গদেৱ!
খাটনিৰ প্ৰয়োজন নেদেখোঁ তোমাৰ,
চতুৰ্গুণে জলোঁ শুনি মিছা সম্বোধন।
ভগা-ৰজা এবে মই, ৰজাৰ খিতাপ
নোশোভে আমাত আৰু পূৰ্ব্ব জেউতিৰে।

বুঃ গোঃ।—মাথো, কৰ্ম্মফল।

ৰজা।–মানোঁময়ো কৰ্ম্মফল।
কিন্তু, কৰ্ম্ম কাৰ? ভুঞ্জে কোনে ফল তাৰ?

বুঃ গোঃ।--আমাৰো এৰণ নাই,
লাগিব ভুঞ্জিব বহু এই শৰীৰত।
সবাতো আগেয়ে জানোঁ, মোৰ পৰিণাম,
–লব মোৰ প্ৰাণ।

ৰজা।—এৰিছোঁ প্ৰাণৰ আশা।
নেৰে, জানোঁ, প্ৰাণে কাকো গদাপাণি বীৰে
ভুলা নাই আজি তেওঁ জয়মতী কথা। --
অহ, কিবা ভাব, কিবা দৃশ্য অকস্মাৎ।
দিছে দেখা মূৰ্ত্তিমতী মহাসতী আহি,
দেখি মোৰ দুৰদশা! আৰু যতমানে
নিৰ্দ্দোষী জনৰ ৰূপ দেখিছোঁ আগত,
বাধিছিলোঁ প্ৰাণ যাৰ ৰাজদ্ৰোহী ভাবি,
তোমাত প্ৰত্যয় মানি! চাপিছে ওচৰ,
অন্তিম সময় মোৰ জানি ই সময়,
চাইছেহি পৰিণাম!

বুঃ গোঃ।—নানিবা সি ভাব!
পাহৰা পাপৰ কথা!—কি হ'ব উপায়!
নাই মোৰ পৰিত্ৰাণ ইহ-পৰকালে;
পৃথিৱীৰ ঘোৰ শাস্তি,—অতি ভয়ঙ্কৰ,—
দেখিছোঁ আগত! দেখিছোঁ আগত আৰু,
অশেষ যন্ত্ৰণা ৰাশি নৰক কুণ্ডৰ,—
পাপীৰ প্ৰায়শ্চিত্ত হেতু।

ৰজা। ভয়ঙ্কৰ।
ভয়ঙ্কৰ দৃশ্য নৰকৰ!!
কি দিম তুলনা, পৃথিৱীত তাৰ সম
নাই শাস্তিস্থল। আৰু সেই ঘোৰৰূপী
যমদণ্ডধাৰী দূত আহে সোঁৱা চাপি।
অহ, ধৰে! ধৰে!! ধৰে!!!

(ৰাজমাওৰ প্ৰৱেশ)

ৰাজমাও।—হাঁয়, মোৰ বাছাধন!
ভয়ত বিহ্বল! নহব নো কোন্ বাৰু,
এনে বিপদত।

(ৰজাক আকোঁৱালি ধৰে)

বুঃ গোঃ।—বকিছে প্ৰলাপ মাও।

ৰাজমাও।—নেমাতিবা তুমি।
এৰা লগ ইমানতে, বাকী নাই আৰু
লেশমাত্ৰ ভুগিবৰ তৱ উপকাৰ! --
মহাপাপী তুমি। নৰকতো নাই স্থান,
তোমাৰ জিৰণি হেতু!

বুঃ গোঃ।—ভুঞ্জিছোঁ আৰ্জ্জিত ফল,
নাই কাৰো দোষ। মাগিছোঁ বিদায় মাও!
নকৰোঁ আমনি, নাচাপোঁহি কাষ ঘূৰি।
—এই দেখা শেষ!

(বুঢ়াগোহাঞিৰ প্ৰস্থান)

ৰাজমাও।—অহ, বাছা মোৰ!
নাই ভয়, নহ'বা অধীৰ। প্ৰাণভয়
নিবাৰিছোঁ জানোঁ। থাকোঁতে জীয়াই মঞি
নকৰিবা আন ভয়।

ৰজা।—বুবুজোঁ তোমাক মাতৃ!
বুজিবৰ শক্তি মোৰ নাই! বুজা হলে
অতদিনে মাতৃ-উপদেশ, এনে দশা
হ'ব কিয় হাঁয়!

ৰাজমাও।--নেভাবিবা দুৰদশা।
উঠন-পতন, জগতৰ বন্ধা ৰীতি।

যাব দিয়া সিংহাসন, থাকিবা শুৱাই
মাতৃ-অঙ্ক মোৰ।
ৰজা।—প্ৰাণভয়।
প্ৰাণভয় নাই আৰু মোৰ।
প্ৰাণ মোৰ কোনে জানো নিলে উৰুৱাই।
জ্বলন্ত কুণ্ডত মোৰ জঁাপিছে দেহাক,
বিষম খোচাত সহোঁ যন্ত্ৰণা অশেষ।
অহ হ! চাওদাং চাপিছেহি কাষ।
চোৰাত! চমতা! উহুঃ! কি ঘোৰ যন্ত্ৰণা!
অসহন! ৰাখাঁ, ৰাখাঁ মাতৃ, মোক!
(উন্মাদ হৈ লৰ মাৰে)
ৰাজমাও।—অহ! বাছা মোৰ
হইছে উন্মাদ হাঁয়,—
(ৰাজমাও পিচে-পিচে লৰি যায)

চতুৰ্থ গৰ্ভাঙ্ক

ৰাজ-সভা

(সোণখতোৱা সিংহাসনত গদাধৰ সিংহ, সোঁবে লাই গোহাঞিদেব, বাঁবে লেচাই গোহাঞিদেব, এপাশে বৰগোহাণি, বৰপাত্ৰগোহাঞি, বৰফুকন, বিষয়াবৰ্গ, দেওধাই, বাইলুং, ডুৱৰী, প্ৰহৰী, কটোৱাল, বন্দীপাল, কটকী, দূত, আনপাশে কোঁচ ৰজা, কছাৰি ৰজা, চুটীয়া ৰজা, জয়ন্তীয়া ৰজা, শ্ৰীহট্টৰ ৰজা, মণিপুৰৰ ৰজা, দিল্লীৰ বাদশ্বাহ এই সকলৰ প্ৰতিনিধিবৰ্গ যথাস্থানত উপবিষ্ট)
দেওধাই। (উঠি, আগবাঢ়ি) শুনা সভাসদ!
আজি হস্তে গদাপাণি, গদাধৰ নামে,
চাৰি পীঠ অসমৰ ৰাজ ৰাজেশ্বৰ।
বংশমূল ইন্দ্ৰদেৱ, আৰু প্ৰজাপতি,
তুয়ো নামে ৰাজমালা দিওঁ শুদ্ধ চিতে,
মঙ্গল উচ্চাৰা সৱে।
(দেওধায়ে ৰজাক মালা পিন্ধায, নেপথ্যত উৰুলি)
সভাসদ। জয় গদাধৰসিংহৰ জয়।
জয় স্বৰ্গদেৱৰ জয়।
দেওধাই।—সৃষ্টিৰ পালক,
মহাবিষ্ণু পুণ্য নামে পিন্ধাওঁ মুকুট,
কুশল কামনা কৰাঁ।
(মুকুট পিন্ধায় আৰু নেপথ্যত উৰুলি)
সভাসদ।—জয় স্বৰ্গদেৱৰ জয়!
জয় গদাধৰসিংহৰ জয়!
দেওধাই।—ৰুদ্ৰ নাম স্মৰি এবে,
ধৰ্ম্মদণ্ড দিওঁ,—দুষ্টৰ দমন আৰু
শিষ্ট পালনৰ।
(ধৰ্ম্মদণ্ড দিয়ে আৰু নেপথ্যত উৰুলি)
সভাসদ।—জয় গদাধৰসিংহৰ জয়!
জয় মহাৰাজৰ জয়।
দেওধাই।—বৰোঁ এবে যুৱৰাজ,
লাই কোঁৱৰক, ডুৱলীয়া ৰাজ চিন
দিওঁ বিধিমতে।
(মকুট পিন্ধায় আৰু নেপথ্যত উৰুলি)
সভাসদ। জয় যুৱৰাজৰ জয়!
জয় কোঁৱৰৰ জয়!
দেওধাই।—ডুৱলীয়া যুৱৰাজ
লেচাই কোঁৱৰ, দ্বিতীয বিধৰ চিন,
দিওঁ যথাবিধি।
(মুকুট পিন্ধায আৰু নেপথ্যত উৰুলি)
সভাসদ।—জয যুৱৰাজৰ জয়!
জয় কোঁৱৰৰ জয়!
দেওধাই।—আহাঁ, এবে মন্ত্ৰী সব,
লোৱাঁহি শৰণ।—
(বৰগোহাঞি, বৰপাত্ৰগোহাঞি আৰু বৰফুকনে আঁঠু লয়হি, নেপথ্যত উৰুলি)
দেওধাই।—প্ৰতিশ্ৰুত হোৱাঁ তিনে,
সিংহাসন চুই,—ৰাখিবা বিশ্বাস দৃঢ়
এই ৰাজলই।
তিনি-মন্ত্ৰী।—(সিংহাসন চুই) ৰাখিম বিশ্বাস আমি।
সাধিম সদায়, বিশ্বাসেৰে ৰাজকাৰ্য্য,
প্ৰজাহিত হেতু। (নেপথ্যত উৰুলি)

দেওধাই।—আৰু যত কৰ্ম্মচাৰী,
বিষয়ামণ্ডলী, কৰা সৱে অঙ্গীকাৰ,
সেবিবা বিশ্বাসে।

বিষয়াবৰ্গ।—(আঁঠু লৈ) কৰিছোঁ প্ৰতিজ্ঞা,
বিশ্বস্তে সেবিম সদা!

(নেপথ্যত উৰুলি)

দেওধাই। —আহা, এবে প্ৰতিনিধি
কৰদীয়া নৃপতিৰ। সিংহাসন চুই,
জনোৱাঁহি সেৱা।

(কোচৰজা, কছাৰিৰজা, চুটীয়াৰজা, জয়ন্তীয়াৰজা আৰু শ্ৰীহট্টৰ ৰজাৰ প্ৰতিনিধিয়ে সিংহাসন চুই আঁঠু লয়হি, নেপথ্যত উৰুলি)

দেওধাই।—প্ৰতিনিধি এইবাৰ
মিত্ৰৰাজসকলৰ,—লোৱাঁহি ওলগ।

(উপঢৌকনে সৈতে মণিপুৰৰ ৰজা আৰু দিল্লীৰ বাদশ্বাহৰ প্ৰতিনিধিয়ে আঁঠু লয়হি; নেপথ্যত উৰুলি)

দেওধাই।—বোলা এবে স্বৰ্গদেৱ!
মিত্ৰৰাজ উপহাৰ কৰিছা গ্ৰহণ,
ৰাখিবা সদ্ভাব।

গদা। সাদৰে লইছোঁ মঞি
প্ৰীতি-উপহাৰ। পূৰ্ব্বৰত প্ৰীতিভাব
থাকিব সদায়।

দেওধাই। —শুনা এবে স্বৰ্গদেৱ!
আমাসাৰ বাণী। আশীছোঁ তোমাক আমি,
—সুখ্যাতিৰে ৰাজপাট খোৱা দীৰ্ঘকাল।
পালিম কৰ্ত্তব্য মোৰ,—ঈশ্বৰ চৰণে
মঙ্গল কামনা তৱ।

(দেওধায়ে আসন গ্ৰহণ কৰে, নেপথ্যত উৰুলি)

গদা। শুনা গুৰু, মন্ত্ৰী আৰু
সভাসদগণ, ৰাজপ্ৰতিনিধি যত,
শুনা মোৰ অন্তৰৰ ৰাজ-ধৰ্ম্মবাণী:—
ৰাইজৰ আদেশত ধৰো ৰাজ-বাব,
প্ৰজা পালনৰ হেতু, ন্যায় বিচাৰত।
দুষ্টৰ দমন আৰু শিষ্টৰ পালন,
মূলমন্ত্ৰ হ'ব মোৰ এই ৰাজত্বত,
এই ধৰ্ম্মদণ্ড তাৰ ধৰিলোঁ প্ৰমাণ।
মানিছোঁ কোঁৱৰ দুটি যুৱৰাজ ৰূপে,
ৰাখে যেন বংশনাম, মাতৃৰ গৌৰৱ,
—জয়াৰ সতীত্ব যশ -যুগ-যুগান্তৰ!
ঘাই মন্ত্ৰী তিনি জনা কৰিছোঁ গ্ৰহণ;
ৰাখিম বিশ্বাস তিনে, হলোঁ প্ৰতিশ্ৰুত।
আৰু যত কৰ্ম্মচাৰী লইছে শৰণ,
সবাৰো সৰল ভাব কৰিছোঁ গ্ৰহণ;
সবাতে বিশ্বাস মোৰ থাকিব সমানে।
ৰাজপ্ৰতিনিধিগণ! লোৱা সম্ভাষণ,—
জানাবা প্ৰীতিৰ ভাব মিত্ৰ-ৰাজগণে।
প্ৰজালই প্ৰতিশ্ৰুতি কৰিছোঁ জ্ঞাপন,
—শান্তিৰ বিস্তাৰ মোৰ প্ৰধান কৰম।
ইসৱ প্ৰতিজ্ঞাপাশে বান্ধি আপোনাক,
মৰতত আজি মঞি 'ৰজা গদাধৰ';
স্বৰগত পটেশ্বৰী,—পৰম সধবা—
"সতী জয়মতী"।

য ব নি কা পা ত

বাণ ৰজা

পাতনি

ইং ১৮৯৭ চনৰপৰা ১৯১৪ চনলৈকে ১৭ বছৰ মই একেৰাহে "তেজপুৰ অসমীয়া ভাষাৰ উন্নতিসাধিনী সভা"ৰ সম্পাদক থকাৰ কালতে সভাৰ বৰ্ত্তমান 'নামঘৰ' সজোৱা হয়। তাৰ লগে লগেই, ১৯০১ খ্ৰীষ্টাব্দৰপৰা প্ৰথম সাত বছৰ "বাণ-ষ্টেজ"ৰ সম্পাদকৰ বিষয়-বাবো মোৰ গাত থাকোতেই, "বাণ-ষ্টেজ" নামকৰণ হোৱাৰ সময়ত, সেই নাম অনুযায়ী কাম হোৱাৰ উদ্দেশে তাত অভিনয় কৰিবলৈ বুলি, "বাণ ৰজা" নামে নাটক এখন ৰচনা কৰি দিয়াৰ ভাৰ সভাৰ দুজন সভ্যৰ গাত যুটীয়াকৈ ন্যস্ত হয়। সেই সাঙ্গিভাৰখনৰ কানমাৰিৰ এমূৰে মই, আনমূৰে মোৰ সমনীয়া সাহিত্যিক বন্ধু ৺হেমচন্দ্ৰ গোস্বামী। পিচে, সেই নাটমন্দিৰত, আৰম্ভণৰ কালত, অভিনয় কৰিবৰ উপযুক্ত অসমীয়া নাটকৰ অভাৱ গুচাবৰ উদ্দেশ্যে মই সুকীয়াকৈ খনচেৰেক মৌলিক নাটক ৰচনা কৰাত লাগি থাকিবলগীয়া হোৱাত, সভাৰ অনুমোদিত নামৰ নাটকখন ৰচনা কৰাৰ যুটীয়া বাবটো ৺গোঁসাইদেৱক সুকীয়াকৈ এৰি দি, মই আজৰি উলিয়াই ললোঁ। তেতিয়াৰেপৰা ভালেমান বছৰ তেওঁ ৰাজকৰ্ম্মচাৰীৰ কৰ্ত্তব্য পালনত আৰু প্ৰত্নতাত্ত্বিক চৰ্চ্চাত মগ্ন থকা হেতুকে আমাৰ যুটীয়া সংকল্পটি কাৰ্য্যত পৰিণত কৰি উঠিব পৰা নাছিল। তেওঁৰ জীৱন-কালৰ শেহছোৱাত, মই মনত পেলাই দিয়াত, সেই অৰ্থে তেওঁ মনে-মনে সচেষ্ট হৈছিল বুলি মই গম্ পাওঁ। কিন্তু, আমাৰ দুৰ্ভাগ্যক্ৰমে, আমাক আথাউনি শোকসাগৰত বুৰাই থৈ, মোৰ প্ৰিয়তম বন্ধুৱে অকালত পৰলোকলৈ গতি কৰিলে। সেই অকাল-বিয়োগত অসমৰ যি পূৰাব-নোৱাৰা ক্ষতি হ'ল, তাৰ বাবে শোক প্ৰকাশ কৰিবলৈ বুলি, 'বাণ-ষ্টেজ'ত, মোৰ সভাপতিত্বত, যি শোকসভা বহিছিল, তাতে মই, আবেগৰ বেগত, উল্লিখিত যুটীয়া বাব সুকীয়াকৈ লবলৈ মোৰ প্ৰতিশ্ৰুতি প্ৰকাশ কৰোঁ। কিন্তু, সিমানতো 'কিন্তু'ৱে আমাক নেৰিলে! সেই অসহনীয় সন্তাপ পোৱাৰ অলপ পাচতে, ওপৰাউপৰিকৈ কেইবাটাও আপদে পাই মোকো মোৰ স্বৰ্গীয় বন্ধুৰ পিচ লগোৱাৰ চিন্ দেখুৱালে। তাতে আকৌ, মোৰ প্ৰণীত 'শ্ৰীকৃষ্ণ' পোহৰলৈ উলিওৱা কাৰ্য্যৰ ভৰত মই আন ফাললৈ মূৰ দাঙিব নোৱাৰাত পৰিলোঁ। ইত্যাদি অপৰিহাৰ্য্য কাৰণত, 'বাণ ৰজা' ৰচিত হোৱাত অতিপাত পলম হোৱা দেখি, মই গা টঙ্গাই উঠিবলৈ নোপাওঁতেই, চোঁচে খৰ মাৰি, সেই প্ৰতিশ্ৰুতি পালন কৰিবলৈ মৰসাহ দি ওলালোঁ পিচে, কিমানলৈ কৃতকাৰ্য্য হ'ব পাৰিছোঁ, ক'ব নোৱাৰিছোঁ এথোন।

'বাণ ৰজা' মোৰ প্ৰণীত 'শ্ৰীকৃষ্ণ' গ্ৰন্থৰ এটি ঠেঙুলি মাথোন। ভগবান শ্ৰীকৃষ্ণৰ জীৱন-চৰিতৰ অন্ত্যলীলা খণ্ডৰ বুকতে বাণ-চৰিতৰ মূলভেটি অঙ্কিত হৈ আছিল, তাকে চম্‌কৈ নাটকৰ প্ৰকৰণলৈ অনা হৈছে। একেখন 'বাণ ৰজা' ঘাইনাটকতে তিনিখন পালিনাটকৰ সমল নিহিত ৰৈছে। সেই সমলেৰে ৰচোঁ বুলিলে, 'কুমাৰহৰণ,' 'উষাহৰণ' আৰু 'হৰিহৰ-যুদ্ধ' সুকীয়া সুকীয়াকৈ ৰচিব পাৰি, ছেগ পাওঁ যদি, পাচে-পৰে চোৱা যাব।

"বাণ ৰজা" নাটকত অসমীয়া মৌলিকত্ব পাৰ্য্যমানে প্ৰচুৰ কৰাৰ উদ্দেশ্যে ইয়াৰ সঙ্গীতমূলক অংশত আধুনিক বঙলুৱা ঠাচৰ গানতকৈ পৌৰাণিক গটৰ নাম-গীত আদি সৰহীয়াকৈ সমাবেশ কৰা গৈছে। নবীন লেখক-পাঠকলৈ ৰুচিকৰ হৈছে নে নাই, ক'ব নোৱাৰিছোঁ এথোন। ইতি—

তেজপুৰ, অসম
কাতি-পূৰ্ণিমা, ১৮৫৪ শক } শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

উছৰ্গা

মোৰ

দ্বিতীয়া প্ৰিয়তমা সহধৰ্ম্মিণী,

বাণ-ৰাজ্যৰ জীয়াৰী,

শ্ৰীমতী হীৰাৱতী দেৱীৰ

খোপাত

ইধাৰি

সহধৰ্ম্মীৰ সযতনে ৰচিত

ফুলৰ চাকি

গ্ৰন্থকাৰ

ভাওবিলাক

মতা

হৰ	··	কৈলাসপতি সদাশিৱ।
বাণ	···	শোণিতপুৰৰ ৰজা।
	···	বাণ ৰজাৰ মন্ত্ৰী।
জ্বৰ	···	বাণ ৰজাৰ ঘাই সেনাপতি।
ৰৌদ্ৰ	···	বাণ ৰজাৰ দুৰলীলা সেনাপতি।
মহাভৈৰৱ তাপস	···	মহাভৈৰৱ মন্দিৰৰ অধ্যক্ষ সাধক।
শ্ৰীকৃষ্ণ	···	দ্বাৰকেশ্বৰ বাসুদেৱ।
বলৰাম	···	শ্ৰীকৃষ্ণাগ্ৰজ।
প্ৰদ্যুম্ন	···	শ্ৰীকৃষ্ণৰ বৰপুত্ৰ।
অনিৰুদ্ধ	···	প্ৰদ্যুম্নৰ বৰপুত্ৰ।
সাত্যকি	···	শ্ৰীকৃষ্ণৰ সেনাপতি।
সুপৰ্ণ	···	শ্ৰীকৃষ্ণৰ আগৰণুৱা।
!	···	যাদৱবাহিনীৰ সেনানায়ক।
যুধিষ্ঠিৰ	···	প্ৰথম পাণ্ডৱ।
ভীম	···	দ্বিতীয় পাণ্ডৱ।
	·	তৃতীয় পাণ্ডৱ।
নকুল	···	চতুৰ্থ পাণ্ডৱ।
সহদেৱ	··	পঞ্চম পাণ্ডৱ।
নাৰদ	···	দেৱৰ্ষি।

ভৈৰৱগণ, দুজন দূত, দুজন পলৰীয়া সেনা, দুৱৰী, প্ৰহৰী, চোৰাংচোৱা, যাদৱ সেনাগণ, দানৱ সেনাগণ ইত্যাদি।

তিৰোতা

গৌৰী	···	শিৱসোহাগিনী দেৱী পাৰ্ব্বতী।
ৰুক্মিণীদেৱী	···	শ্ৰীকৃষ্ণৰ প্ৰথমা সহধৰ্ম্মিণী।
উষা দেৱী	···	বাণ ৰজাৰ জীয়াৰী।
চিত্ৰলেখা	···	উষাদেৱীৰ সখী।
প্ৰজ্ঞা	···	কুম্ভাণ্ড মন্ত্ৰীৰ জীয়াৰী।
দ্ৰৌপদী দেৱী	···	পাণ্ডৱ পটেশ্বৰী

ভৈৰৱীগণ, সখীসকল, অপেশ্বৰা, গায়িকা, লিগিৰী, নাচনী, ইত্যাদি।

বাণ ৰজা

(পৌৰাণিক নাটক)

আভাস

(মহাভৈৰৱ তাপসৰ প্ৰৱেশ)

ভজন

ঝিঁঝিট খাম্বাজ—একতালা

হৰ হৰ শঙ্কৰ শিৱ মহেশ্বৰ।
দেৱ-দেৱ-মহাদেৱ হৰ-বিশ্বেশ্বৰ ॥ (হে)
পতিত-পাৱন প্ৰভু,
প্ৰলয়-কাৰণ বিভু,
সৃষ্টি শোধনৰ হেতু, —মহিমা অপাৰ ॥ (হে)
আশুতোষ সদাশিৱ,
ত্ৰাণ হেতু জগজ্জীৱ,
নিখিল ব্ৰহ্মাণ্ড স্বামী বিশ্বধৰাধৰ ॥ (হে)
ব্ৰহ্মা-বিষ্ণু-ৰুদ্ৰেশ্বৰ,
সৃষ্টি-স্থিতি-প্ৰলয়ৰ,
নিদান কাৰণ তিনি বিশ্বখনিকৰ।
যুগে যুগে অৱতাৰ যুগ্ম হৰিহৰ ॥ (হে)

(প্ৰস্থান)

প্ৰথম অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

কৈলাসশিখৰ,—সদাশিৱ-কুটীৰ

(হৰ-গৌৰী ; দুপাশে নন্দী-ভৃঙ্গী)

নন্দী-ভৃঙ্গীৰ নৃত্যগীত

খাম্বাজ মিশ্ৰ—খেম্‌টা

ভৱশঙ্কৰ ব্যোম্ ব্যোম্ ভোলা। (হে)
ভৱ শঙ্কৰ ব্যোম্ ব্যোম্ ভোলা ॥
নন্দী-ভৃঙ্গী আমি দুই, হাঁহোঁ নাচোঁ চোৱাচুই,
মহেশ্বৰ মহোল্লাস, বামে গিৰিবালা। (হে)
ভৱশঙ্কৰ ব্যোম্ ব্যোম্ ভোলা ॥
ভূতনাথ ভয়হাৰী, শূলপাণি বনচাৰী,
বাঘছাল পৰিধান, কণ্ঠত্ মুণ্ডমালা। (হে)
ভৱশঙ্কৰ ব্যোম্ ব্যোম্ ভোলা ॥

(নীৰৱ)

হৰ।—(আখি উন্মিলিত) বাণ ৰজা
তপস্যাত পূৰ্ণকাম আজি। (চিন্তাযুত)
গৌৰী।—কঁপি উঠে ঘনে-ঘন
বাওঁ আখি মোৰ, কি কাৰণে প্ৰাণনাথ ?
হৰ।—(খল্‌খলাই হাঁহি) হ'ব বহু লাভ !
গৌৰী।—কিবা লাভ হ'ব নাথ ?
হৰ। হ'ব পুত্ৰ লাভ।
গৌৰী।— প্ৰাপ্য পুত্ৰলাভ মোৰ
বাকী নাইচোন ?
হৰ।—আছে বাকী ; হ'ব সৃষ্টি,
দেখিবা সত্বৰে।
গৌৰী।—সৃষ্টিৰ গৰাকী, নাথ,
নোহোৱা যে তুমি ?
হৰ।—নহওঁ গৰাকী ;
ভাঙিব পাতিব পাৰোঁ।
সংহাৰিছোঁ কত সৃষ্টি, ৰুদ্ৰৰূপ ধৰি,
পাতিছোঁ কতনা আৰু বৰদান কৰি,
জানা তুমি ; অবিদিত নহয় তোমাৰ !
গৌৰী।—কাক নো পাতিবা আৰু
কোৱা, এইবাৰ ? কোন্ হ'ব প্ৰিয়পুত্ৰ
আমাসাৰ তেওঁ ?
হৰ।—মহাসুৰ জানা, তেওঁ
বলিৰ নন্দন ; বাণাসুৰ নৰপতি,
হৰভক্ত প্ৰাণ ! তুষ্ট মই তপস্যাত তাৰ।

সাধনাৰ অন্তদিন আজি। বৰ্লা, দেৱী!
দিওঁগই প্ৰাপ্য বৰদান।

গৌৰী।—কি বৰ মাগিব জানো?

হৰ।—পুত্ৰত্ব তোমাৰ।

গৌৰী—পুত্ৰত্ব আমাৰ!
আচৰিত কথাচোন?

হৰ।—নোহে আচৰিত। ভাঙ্গি কওঁ, শুনা দেৱী!
প্ৰিয়পুত্ৰ কাৰ্ত্তিকেয় থাকোতে এদিন
ক্ৰীড়াশীল হই, দেখি বিমোহিত হ'ল
বিৰোচন-নাতি সেই বলিৰ নন্দন।
কুমাৰৰ বলবীৰ্য্য, দেহৰ মাধুৰ্য্য,
লাভৰ হেঁপাহে সিটে বাঞ্ছিলে বিস্তৰ;
অন্তত ধৰিলে ভক্তে কঠোৰ তপস্যা।
পৰিতুষ্ট হলোঁ মই তাৰ ভকতিত;
দিম আজি বৰ তাক, অযাচিতে গই।
বৰ্লা যাওঁ, আছে য'ত সেই ভক্তজন।

(গাত্ৰোত্থান)

গৌৰী।—(হৰৰ লগতে উঠি) নাপাওঁ উৱাধি;
অপাৰ মহিমা তৱ!
(হৰ-গৌৰী কৈলাসশিখৰৰপৰা নামি ধীৰে ধীৰে ভৈয়ামগামী হয়; পিচে-পিচে নন্দী-ভৃঙ্গীয়ে ডম্বৰু বজাই নাচি-নাচি যায়)

(প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

মহাভৈৰৱ মন্দিৰ—ধ্যানমগ্ন বাণাসুৰ

(হৰ-গৌৰীৰ প্ৰবেশ)

হৰ।—চোৱাঁ, দেৱী!
এবেঁ সেই ভকত সাধক।

গৌৰী।—অহ! দেখি মোৰ, অযাচিত!
লাগে বেথা! উথলিছে অন্তৰত অপত্য চেনেহ!

হৰ।—(বাণৰ প্ৰতি) সাধনাৰ পূৰ্ণকাম হইছে তোমাৰ।
কি বৰ মাগিবাঁ তুমি, কোৱাঁ মহাসুৰ!

বাণ।—(আঁখি উন্মিলিত; সাষ্টাঙ্গে প্ৰণিপাত; কৰযোৰকৈ আঁঠু লৈ) কি ভাগ্য মোৰ! প্ৰভো, দিলাঁ দৰিশন! হে ত্ৰিলোচন! এই অধমৰ তপস্যাত তুষ্ট হৈ যেন দেৱীৰ পুত্ৰত্ব প্ৰদান কৰে, এয়ে মোৰ হাবিয়াস,—এয়ে মোৰ সাধনাৰ লক্ষ্য।

হৰ।—তথাস্তু। (গৌৰীৰ প্ৰতি) দেৱী! তুমি মোৰ এই ভক্ত শিষ্যক পুত্ৰৰূপে গ্ৰহণ কৰাঁ; ই আমাৰ দ্বিতীয় পুত্ৰ কাৰ্ত্তিকেয়ৰ কনিষ্ঠৰূপে পৰিগণিত হ'ল। যি থানত পূৰ্ব্বতে মহাসেন অগ্নিজাত ৰুধিৰত উত্থিত হৈছিল, সেই থানতে এওঁৰ মহাপুৰ হ'ব। সেই পুৰোত্তম পৰন্তে শোণিতপুৰ নামে খ্যাত হ'ব। এওঁ সততে শ্ৰীমান্ কাৰ্ত্তিকেয় আৰু মোৰ দ্বাৰাই ৰক্ষিত হ'ব। পৃথিৱীত এওঁ দুৰ্জ্জয় দানৱৰাজৰূপে জিলিকিব। স্বয়ং শ্ৰীহৰি আৰু মোত্ বাজে ত্ৰিভুবনত এওঁক জিনোতা নোলাব। সেই উদ্দেশ্যে আজি মই এওঁত সহস্ৰভুজ পৰিমিত বীৰত্ব প্ৰয়োগ কৰিলোঁ। আজি হন্তে এওঁ মোৰ প্ৰদত্ত সহস্ৰাস্ত্ৰ-বলৰ অধিকাৰী হ'ল।

বাণ।—(দেৱীৰ প্ৰতি) হে মাতৃ! গ্ৰহণ কৰোক পুত্ৰৰূপে এই অধমক। হওঁ যেন কাৰ্ত্তিকেয়-অনুজ এই পুত্ৰ।

গৌৰী।—তথাস্তু।

বাণ।—(হৰৰ প্ৰতি) হে প্ৰভো! দ্বিতীয় বৰদানত প্ৰভুদত্ত অসীম বলপৰিমিত মই সমৰলাভ বাঞ্ছা কৰোঁ। সেই ৰণলাভত বঞ্চিত হৈ জীৱনধাৰণ কৰিবলৈ মোৰ হাবিয়াস নাই; আৰু তেনেহেন মহাৰণত নিয়োগ কৰিবলৈ নাপালে, সহস্ৰভুজ-পৰিমিত বললাভৰ মোৰ প্ৰয়োজন নাই। এতেকে, হে ভূতনাথ! হে ৰুদ্ৰেশ্বৰ! প্ৰথম বৰলাভ অনুযায়ী মহাৰণ যেন অনতিপলমে লাভ হয়, এই মোৰ প্ৰাৰ্থনা। ইয়াৰ এটা সু-সমিধান নাপাওঁমানে মোৰ তপস্যা অন্ত নহ'ব।

হৰ।—(পুতৌ-হাহি মাৰি, এপাট ত্ৰিশূলধ্বজ প্ৰদান কৰি) হেৰা, দানৱৰাজ বাণ! তোমাৰ ধৰ্ম্মাগ্ৰজ শ্ৰীমান্

কাৰ্ত্তিকেয়ই তোমাক যি ময়ূৰধ্বজ দান কৰিছিল, যি ধ্বজ তোমাৰ ৰাজভৱনৰ চূড়াত প্ৰোথিত আছে, সেই কীৰ্ত্তিধ্বজ যিদিনা চূড়াচ্যুত হৈ ভূমিত পতিত হ'বহি, সেই দিন ধৰি তোমাৰ বাঞ্ছিত মহাৰণৰ আগন্তক মিলিব। সেই অলৌকিক ৰণ তোমাৰ অনুপমা কন্যা উষা নাম্নী কুমাৰীৰ জৰিয়তে সংঘটিত হ'ব। সেই কন্যাক তোমাৰ নিজ নগৰৰপৰা সুদূৰত কন্যাপুৰ নামে এখন নতুন নগৰত সুৰক্ষিত-কৈ স্থিতি কৰাবাঁ। (হৰ-গৌৰীৰ অন্তৰ্দ্ধান)

বাণ।—(হৰ্ষবিহ্বল হৈ) অহ! ভাগ্যধৰ আজি মই! ভাগ্যে মোৰ বৰলাভ অথলে নগ'ল। ভাগ্যক্ৰমে মোৰ দেৱদত্ত সহস্ৰাস্ত্ৰপৰিমিত বাহুবল অপাত্ৰত নিয়োজিত নহ'ল। ধন্য মই! ধন্য মোৰ অনুপমা কন্যা! ধন্য মোৰ কঠোৰ তপস্যা! পূৰ্ণ হ'ব বাঞ্ছা মোৰ। যাওঁ, নকৰোঁ পলম; আগন্তক মহাৰণৰ উদ্দেশ্যে সষ্টম হওঁগৈ।

(উলাহিত হৈ সবেগে প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

ভৈৰৱীকুণ্ড,—গন্ধৰ্ব্ববিহাৰভূমি

(অপ্সৰাগণৰ নৃত্যকেলি; সখীপৰিবৃতা উষা; গন্ধৰ্ব্ব-অপ্সৰাগণ যোৰা-যোৰা হৈ নাচি-নাচি অন্তৰ্হিত।)

উষা।—(উচাতন) অকস্মাৎ কিয়
হওঁ এনুৱা অধীৰা! ৰোমাঞ্চিত হিয়া
উঠিছে উথলি; বই পৰে পাৰ ভাঙ্গি
ব্ৰহ্মচৰ্য্য ব্ৰত মোৰ!

চিত্ৰলেখা।—কিবা হ'ল সখী!
কিহে কৰে এনে উচাতন?

উষা।—নাজানোঁ, নুবুজোঁ হায়!
হিয়াভেদী এটি ৰাগে, অযাচিতে উঠি,
ব্ৰহ্মচৰ্য্য ব্ৰত মোৰ কৰে চূৰ্ণীকৃত!—
নাপাওঁ তৰণি!

প্ৰজ্ঞা।—জানিছোঁ, বুজিছোঁ আমি।

উষা।—কিবা জানাঁ সখী?

প্ৰজ্ঞা।—জানাঁ যিবা, জানাঁ তুমি;
গমি চোৱাঁ আপোনাতে প্ৰকৃতিস্থ হই।
ৰতিমতি এবে তুমি, মদনপীড়িতা!—
প্ৰেমপ্ৰবাহিনী।

উষা।—নুবুজোঁ, কি কোৱাঁ তুমি!
—কি ঘোৰ সমস্যা!

চিত্ৰলেখা।—নহ'বাঁ অধীৰা।
বিজুলীৰ চমকনি মেঘৰ বুকুত
উঠি পুনু মাৰ যায়,—নৰয় জিৰাই।
তোমাৰো সি মনোগতি, মনতে মৰহি,
মনে মনে যাব মাৰ।

উষা।-মিছা! নৰজে বিজনি!
নোহে সাধাৰণ এই ব্যক্তিগত ব্যথা।
এনুৱা দুৰ্ব্বলা কিয় হওঁ আচম্বিতে,
জানি-বুজি মোৰ ব্ৰহ্মচৰ্য্য মনোবান্ধ!
ছিঙ্গে যদি বান্ধ দৈব-দুৰ্ব্বিপাকে,
ছিগিব জীৱন বান্ধ, -যাব উৰি প্ৰাণ
এৰি দেহাসজা!

চিত্ৰলেখা।—ছিগিব সঁচাকে',
ছিগে যদি মনোবান্ধ। কিন্তু, সি নিছিগে
বুজিবাঁ ধুৰুপ্ সখী! সাক্ষী কৰি যাক
ধৰিছা ব্ৰত তৱ, ৰাখিব নিশ্চয়
সেই ভৈৰৱী দেৱীয়ে।

উষা।--ধুৰুপ্ ধৰিছা সখী!—
ৰাখিব দেৱীয়ে। যাওঁ মই, বহোঁগই
ঘোৰ তপস্যাত। (উত্ৰাৱল হৈ প্ৰস্থান; পিচে-পিচে প্ৰজ্ঞা আৰু চিত্ৰলেখাৰ সবেগে প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

বাণপুৰ,—ধ্বজগৃহ

বাণৰজা।—(অকলে) অহ! কিযে ভাগ্য মোৰ! মিলিব মোৰ মনোমত ৰণ! কিন্তু, কাৰে সৈতে, কিবা ৰণ, মিলিব কেতিয়া?—ইমানেই জানিবৰ আছে

মাথোঁ বাকী মোৰসম ভাগ্যবান বাস্তৱতে নাই পৃথিৱীত। ক্ষমতাতো নাই কোনো মোৰ সমতুল। বলীৰ লেখত তৃতীয়ত স্থান মোৰ:—প্ৰথমত, দেৱদেৱ মহাদেৱ ধৰ্ম্মপিতৃ মোৰ; দ্বিতীয়ত, মোৰ ধৰ্ম্মৰাজ কাৰ্ত্তিকেয় সুৰসেনাপতি। আজি মই ত্ৰিভুবনপতি! ইচ্ছামাত্ৰে আজি মই স্বৰ্গক মৰ্ত্ত্যত, আৰু মৰ্ত্ত্যক পাতালত পৰিণত কৰিব পাৰোঁ। মোৰ নামত আজি দেৱতা, দানৱ, কিন্নৰ, উৰগ, যক্ষ, ৰাক্ষস, গন্ধৰ্ব্ব, অসুৰ, দৈত্য, নৰ আৰু অপৰাপৰ ভোগিবংশজাতগণ ত্ৰস্তমান্! মোৰ ভয়ত আজি অদিতিনন্দনগণ পলায়মান্! স্বৰূপত, আজি জগতখনেই মোৰ বশ, বাকী মাথোঁ মোৰ আজন্ম অৰি বিষ্ণু। ইবাৰ তেওঁৰো পতন নিশ্চয়। মোৰ ধৰ্ম্মপিতৃ হৰ মহেশ্বৰ সৃষ্টিসংহাৰক প্ৰলয়কৰ্ত্তা। সেই হৰদত্ত যি অপূৰ্ব্ব বল মোৰ লাভ হৈছে, যি বৰৰ প্ৰভাৱত আজি মই সহস্ৰভুজ নামে অভিহিত, যি ভুজবলৰ প্ৰতাপত আজি ত্ৰিভুবন কম্পমান্, সেই বৰলাভ, সেই তাৰ প্ৰভাৱ! সেই ভুজবলৰ প্ৰতাপৰ আগত যে মোৰ পিতৃপ্ৰৱঞ্চক বিষ্ণু আৰু সৰহপৰ ঠাৰৰিব পাৰিব এনে বোধ নহয়। হৰৰ কোপাগ্নিত সেই হৰি যে ভস্মীভূত হ'ব, তাত ধনিষ্ঠামানো সংশয় নাই। তালৈকো আৰু সৰহ-দিন নাই, মোৰ ধৰ্ম্মপিতৃয়ে মোৰ বাঞ্ছিত যি মহাৰণ অনতিপলমে মিলিব বুলিছে, সেই ৰণতে সেই মোৰ পিতৃবৈৰী বামনৰূপী বিষ্ণু, অপৰ কিবা-ৰূপে মোৰ সমুখীন হ'ব যেন অনুভৱ কৰিছোঁ। আহা, যিদিনা এই অনুভৱ কাৰ্য্যত পৰিণত হ'ব, সেই দিনা মোৰ কি যে আনন্দৰ দিন লাভ হ'ব। (চিন্তাযুত)

(কুষ্মাণ্ড মন্ত্ৰীৰ প্ৰৱেশ)

গু।--হে ৰাজন্! আজি দেখোঁ আপোনাৰ অপাৰ আনন্দ? হৰ্ষবিস্ময়ভাবত আপোনাৰ আৰক্ত লোচনদ্বয় উৎফুল্ল হৈ উঠিছে; ৰজোভাবাপন্ন মুখমণ্ডল মধ্যাহ্ন সূৰ্য্য সদৃশ্ তমোময় হৈ জিলিকিছে!—কি হেতু?

বাণ।—হেৰা, মন্ত্ৰী! তোমাক দেখি যাওঁতেই আজি মোৰ অন্তৰত আনন্দ উথলি উঠিছে! যি হেতু, আজি তোমাক এটি মনোৰঞ্জক প্ৰীতিসংবাদ জ্ঞাপন কৰিবলৈ মোৰ অপূৰ্ব্ব ছেগ মিলিছে।

কুষ্মাণ্ড।—হে মহাসুৰ! কি নো প্ৰীতিসংবাদ মোৰ আগত ব্যক্ত কৰিবলৈ আপুনি ইমান উদ্বিগ্ন হৈছে?—দেৱদেৱ হৰ-মহেশ্বৰ আৰু মহাত্মা স্কন্দৰ প্ৰসাদত আপোনাৰ বাঞ্ছিত ফল কি লাভ হৈছে, শীঘ্ৰে ব্যক্ত কৰোক, শুনিবলৈ মোৰ মনে উদ্বাউল দিছে।

বাণ।- মন্ত্ৰী! বাস্তৱতে মোৰ বাঞ্ছিত বৰ লাভ হৈছে, —যি বৰৰ প্ৰভাৱত আজি মই ত্ৰিভুবনপতি বাণেশ্বৰ! জগতত বীৰশ্ৰেষ্ঠগণৰ মধ্যত আজি মই তৃতীয়, মোৰ ধৰ্ম্মাগ্ৰজ অজেয় বীৰ কাৰ্ত্তিকেয় দ্বিতীয়; আৰু মোৰ ধৰ্ম্মপিতৃ গৌৰীনাথ হৰ-মহেশ্বৰ স্বয়ং প্ৰথম।

।গু। -হে প্ৰভো! সুবুজোঁ কি বুজায় আপুনি। অল্পমতি মই, বিশেষণে সবিশেষ সুবুজায় মোক!

বাণ। নলনাঁ সি ভাব। প্ৰাজ্ঞ তুমি, মন্ত্ৰীবৰ! তোমাৰ তুল্য বিজ্ঞজন আতিকে বিৰল। শুনাঁ, কওঁ সবিশেষ। তপস্যাত মোৰ তুষ্ট হ'ল আশুতোষ। হৰ-গৌৰী হ'ল আবিৰ্ভাব। দিলে দুয়ে দয়া কৰি বাঞ্ছিত বৰদান। বৰসূত্ৰ অনুসৰি, প্ৰথমতে হ'ল মোৰ দেৱীৰ পুত্ৰত্বলাভ, হলোঁ মই অনুজ কাৰ্ত্তিকৰ, দ্বিতীয়তে, সহস্ৰভুজ নামে মই হলোঁ অভিহিত, বীৰশ্ৰেষ্ঠৰ মধ্যত মই পালোঁ তৃতীয়ত স্থান: ধৰ্ম্মাগ্ৰজ কাৰ্ত্তিকেয় আজি দ্বিতীয় বীৰ-চূড়ামণি, প্ৰথমত সৰ্ব্ব-অগ্ৰগণ্য সৰ্ব্বশক্তিমান বলিপ্ৰতিম ধৰ্ম্মপিতৃ স্বয়ং গৌৰীনাথ হৰ-মহেশ্বৰ। মই সততে হৰ-গৌৰীৰ কৃপাৰে কৃপান্বিত আৰু সুৰসেনাপতি কাৰ্ত্তিকেয়ৰ দ্বাৰাই সুৰক্ষিত হম। আৰু, হৰি-হৰত বাজে, জগতত মোক জিনোতা নোলাব।—এয়ে মোৰ বৰলাভ।

কুষ্মাণ্ড -হে দানবেশ্বৰ! ই বাস্তৱতে প্ৰীতি-সংবাদ। এইবাৰৰ বিশ্লেষণত সবিশেষ বুজিলোঁ। দেৱদেৱ

মহাদেৱ দেৱীনাথ স্বয়ং হৰ-বিশ্বেশ্বৰ যাৰ ৰক্ষক, ত্ৰিভুবনবিজয়ী অজেয় বীৰ সুৰসেনাপতি স্বয়ং কাৰ্ত্তিকেয় যাৰ সহায়, তেওঁক ত্ৰৈলোক্য ৰাজ্যৰ অধীশ্বৰ বুলি কোনে নামানি পাৰিব? এতেকে ই অযথা আশা নহয় যে, সুৰপতি ইন্দ্ৰ আপোনাৰ প্ৰতাপত তিষ্ঠিব নোৱাৰি, স্বৰ্গ এৰি পাতালত পলাবগৈ লাগিব, যাৰ চক্ৰভয়ত এতমান হৈ দিতি-নন্দনগণ সমুদ্ৰৰ গৰ্ভত লুকাই আছেগৈ, সেই বিষ্ণুভয়ৰপৰা সিসৰে উদ্ধাৰ পাব, শঙ্খ-চক্ৰ-গদা-পদ্মধাৰী শাৰ্ঙ্গপাণি শ্ৰীহৰিয়ে দিতিনন্দনগণক আৰু পাদদলিত কৰি ৰাখিব নোৱাৰিব, আপোনাৰ অতুল বলৰ প্ৰভাৱত মহাসুৰগণে অচিৰে পাতাল-পুৰ এৰি সুৰপুৰবাসী হ'বগৈ পাৰিব।

বাণ।—স্বৰূপ কৈছা মন্ত্ৰী! তোমাৰ জ্ঞানগৰ্ভ বাণী মই বিশদকৈ হৃদয়ঙ্গম কৰিছোঁ।

কুম্ভাণ্ড। হে ৰাজন্! আপোনাৰ জন্মদাতা পিতৃ বিৰোচননন্দন বলিৰাজক যে বামনৰূপী বিষ্ণুৱে ছলনা কৰি অদ্যাপি সমুদ্ৰৰ গৰ্ভত নিমগ্নকৈ ৰাখিছে, তেওঁৰো অনতিপলমে পৰিত্ৰাণ পাব বুলি, আৰু সেই দিব্যমাল্যাম্বৰধাৰী দিব্যগন্ধানুলিপ্ত পৰম পৱিত্ৰ আৰু অতীৱ সুন্দৰ বলি দানবেশ্বৰক পুনৰপি আমি সাক্ষাৎ পোৱাৰ আশাত মোৰ ক্ষুদ্ৰ অন্তৰত আনন্দে নধৰা হৈছে। কওকচোন, আমাৰ এই আশা বলৱতী হ'বলৈ আৰু কিমান দিন লাগিব?

বাণ।- শুনাঁ মন্ত্ৰী! ভাঙ্গি কওঁ সংপ্ৰীতি-সংবাদ। তোমাৰ অবিদিত নহয়, আজি বহুকাল ধৰি মোৰ সমকক্ষ মনোমত বীৰ যোদ্ধাৰ লগত সমুখীন হবলৈ মই ছেগ পোৱা নাই। সেই কাৰণে, দেৱীৰ পুত্ৰত্ব আৰু সহস্ৰভুজপৰিমিত অজেয় বলবীৰ্য্য লাভ কৰাৰ পাচত, মই সৰ্ব্বশক্তিমান দেৱদেৱ মহাদেৱৰ চৰণত মোৰ মনোখেদ ব্যক্ত কৰাত, মোৰ ধৰ্ম্মপিতৃ ভোলানাথ আশুতোষ হৰ-মহেশ্বৰে হৰিষ অন্তৰে থল্‌থলাই হাঁহি হাঁহি মোক এই বুলি সমিধান দান কৰিলে, "হেৰা, মহাসুৰ! চিন্তা নাই, তুমি অনতিপলমে এখন সুবৃহৎ ৰণত লিপ্ত হৈ, এজন সুমহৎ যোদ্ধাৰ সমুখীন হ'বলৈ পাবাঁ। হেৰা, দিতিনন্দন! আৰু শুনাঁ, যি দিনা তোমাৰ ধ্বজগৃহৰ চূড়াৰপৰা খহি ময়ূৰধ্বজ ভূমিতলত নিপতিত হ'বহি, সেই দিন ধৰি সেই মহাৰণৰ আগন্তুক মিলিব, আৰু যথা-সময়ৰ ভিতৰত এখন অলৌকিক সংগ্ৰাম সংঘটিত হ'ব।" মন্ত্ৰীবৰ! সেই আশাতে আজি মোৰ বুকু ফুলি উঠিছে, এই শৰীৰৰ সিৰেসিৰে ৰণতেজ প্ৰবাহিত হ'ব লাগিছে, তৰ পৰিবলৈ ধৰা মোৰ অন্তৰত অপাৰ আনন্দ উপচি পৰিছে; মই মহোল্লাসেৰে সেই বাঞ্ছিত ৰণলাভৰ ক্ষণ গণিব লাগিছোঁ।

কুম্ভাণ্ড।-হে দানবেশ্বৰ! সৃষ্টিহন্তা মহাৰুদ্ৰ হৰ মহেশ্বৰৰ-পৰা আপুনি যি আশাতীত সমিধান লাভ কৰিলে, তাত মই হৰ্ষ আৰু বিষাদ উভয়কে অনুভৱ কৰিছোঁ।

বাণ। -কিয়? মন্ত্ৰী! বিষাদ কি বাবে? আগন্তুক সন্মুখ-সংগ্ৰামৰ ভয়ত বিষাদিত হৈছা নে কি? নকৰিবাঁ ভয়, নালাগে ধৰিব অস্ত্ৰ তুমি, সহস্ৰভুজ এই মই অকলে নাশিম অজস্ৰ সেনানী,—অকলে জিনিম মই দুৰ্জ্জয় যোদ্ধা যতমানে।

কুম্ভাণ্ড।—নহয় প্ৰভো! কুম্ভাণ্ড সংগ্ৰামপৰাঙ্মুখ নহয়। বিষাদ লাগিছে এই বাবে যে, দাতা দেৱতাৰ থল্‌থলি হাঁহি দ্ব্যৰ্থবোধক হ'ব পাৰে। অপৰিমিত যাচ্ঞাৰ ফলত জানোবা হিতেবিপৰীত ফলিয়ায়! ময়ূৰধ্বজভঙ্গ হেতুবন্ধনে মোৰ অন্তৰত নানান্ আশঙ্কাৰ বীজ সঞ্চাৰ কৰিছে!

বাণ।—নকৰিবা আশঙ্কা মন্ত্ৰী! পিতৃ হৈ পুত্ৰৰ অহিত কল্পনা কৰাটো ধাৰণাতীত কথা! ভোলানাথ হৰৰ হাঁহিত কপটতা থকাও সম্ভৱপৰ নহয়। ময়ূৰধ্বজভঙ্গৰ কথাত যে লাগিছা, সিও দুৰ্ব্বল চিন্তাৰ ফল মাথোন। সহস্ৰভুজ বাণৰ মনত তেনে আশঙ্কাযুত দুৰ্ব্বল ভাবে ঠাই নাপায়! বিশেষতঃ ময়ূৰধ্বজভঙ্গ এটা হেতুবন্ধন মাথোন; অৰ্থাৎ মোৰ বাঞ্ছিত ফললাভৰ ই এটা কেৱল দৈৱিক নিদৰ্শন।

কুম্ভাণ্ড।—হে ৰাজন! ক্ষমা কৰিব, মই আপোনাৰ সৰল বিশ্বাস লুটিয়াবলৈ প্ৰয়াস পোৱা নাই; কিন্তু ৰাজভৱনৰ চূড়াত প্ৰোথিত ময়ূৰধ্বজ স্খলিত হৈ ভূতলশায়ী হোৱাটো যে মহা অমঙ্গলৰ লক্ষণ! সেয়ে নহৈ, আন কোনো এটা সুমঙ্গলীয়া হেতু-বন্ধনেৰে নিদৰ্শন দান দিয়া হলে জানিবা আমাৰ মনত কোনো দ্বিধাভাব উপজিবৰ কাৰণ নৰলহেঁতেন।

(এনেতে, বিনামেঘে বজ্ৰপাত হৈ বাণৰাজভৱনৰ চূড়াত প্ৰোথিত ময়ূৰধ্বজ খণ্ড-বিখণ্ড হৈ ভূমিত পৰিলহি! বাণ আৰু কুম্ভাণ্ড চমক্‌খাই অবাক্!)

বাণ।—(বিস্ময়বিহ্বলভাৱে আশান্বিত হৈ) ইকি! ইকি! মন্ত্ৰী! মন্ত্ৰী! মিলিল! মিলিল মোৰ সেই ৰণ-আকাঙ্ক্ষাৰ ক্ষণ। যাওঁ, যাওঁ মই অন্তঃপুৰত দানৱ ৰমণীমণ্ডলীক এই শুভসংবাদ জ্ঞাপন কৰি পুলকিত কৰোঁগৈ। সেই দানৱ দিতিগণে অচিৰে অদিতিগণৰ ঠাই অধিকাৰ কৰিবলৈ পাব, এই সুখ অনুভৱে সিবিলাকক নিশ্চয় প্ৰফুল্লিত কৰিব। সেই ছেগতে, ৰণ-যাত্ৰাৰ পূৰ্ব্বক্ষণত, ময়ো সিবিলাকৰে সৈতে অমৰবাঞ্ছিত সুখসন্মিলন উপভোগ কৰি পৰিতৃপ্ত হওঁগৈ! যাওঁ, যাওঁ, নকৰোঁ পলম; যোৱাঁ, মন্ত্ৰী, তুমিও যোৱাঁ, যুদ্ধাৰ্থে যথাযোগ্য আয়োজন কৰাঁগৈ।

(উত্ৰাৱল হৈ প্ৰস্থান)

কুম্ভাণ্ড।—(অকলশৰীয়া হৈ) ইকি! ইকি!—হাঁয়! ভয়ঙ্কৰ ভূমিকম্প হৈ পৃথিৱীয়ে ফাট মেলিছে! মেদিনীগৰ্ত্তৰপৰা আচম্বিতে মেকুৰীৰ মিওঁ মিওঁ যেন ৰোদনৰ ক্ষীণধ্বনি উঠিছে! সমস্ত বাণৰাজ্য জুৰি ৰুধিৰধাৰাৰে ৰক্তবৃষ্টি হ'বলৈ ধৰিছে। দিনতে উল্কাপাতৰ অভাবনীয় উৎপাত লাগিছে! পূবে সূৰ্য্যোদয়ৰ গঁড়িলাস্বৰূপ কৃত্তিকা নক্ষত্ৰই বাণৰ জন্ম-নক্ষত্ৰ ৰোহিণীনক্ষত্ৰক পীড়িবলৈ ধৰা যেন দেখা গৈছে! দানৱ কন্যাগণে যাক নিত্য অৰ্চ্চনা কৰে, সেই বাহুশাখাসমন্বিত চৈত্য মহীতলত নিপতিত হৈছে! ই কি অদ্ভুত কাণ্ড!

(আতঙ্কত কঁপিবলৈ ধৰে)

হাঁয়! অতনা অদ্ভুত ঘটনা মোৰ চকুৰ আগতে ঘটিব লাগিছে! প্ৰতি অমঙ্গলসূচক দুৰ্ঘটনাই মোক ভীষণ বিভীষিকা দেখুৱাইছে! এইবোৰ বিস্ময়-জনক ঘটনাচক্ৰত পাক্‌ঘূৰণি খাই মহাবল দানৱৰ ভাগ্যাকাশ ঘনঘটাচ্ছন্ন হৈ পৰিছে! আতঙ্কত মোৰ মন-প্ৰাণ ক্ৰমাৎ বিহ্বল হ'বলৈ ধৰিছে। কিন্তু, হাঁয়! ৰণমদত উন্মত্ত মহাসুৰ বাণৰাজে অতবোৰ অদ্ভুত অমঙ্গলীয়া দুৰ্ঘটনালৈ ভ্ৰূক্ষেপ কৰা নাই! তেওঁ দেখিও নেদেখা হৈছে যে, ভাগ্যলক্ষ্মীয়ে প্ৰত্যক্ষে তেওঁক ত্যাগ কৰিবলৈ ধৰিছে! যি আগন্তুত অলৌকিক মহাৰণত সমূখীন হ'বলৈ তেওঁ উদ্বাউল দি উঠিছে, তাত যে তেওঁৰ পৰাজয় নিশ্চয়, সেইটো তেওঁৰ মনত সমূলি ধাৰণা হোৱা নাই! তেওঁ দেৱতাৰ দ্ব্যৰ্থবোধক সমিধানৰ মৰ্ম্ম সমূলঞ্চে উপলব্ধি কৰিব পৰা নাই। শ্ৰীহৰি আৰু শ্ৰীহৰ এই দুইত বাজে অপৰে তেওঁক জিনিব নোৱাৰিব পাৰে, কিন্তু সেই হৰি-হৰেই যে পাকলাগি তেওঁৰ মহাকাল হৈ উঠিবগৈ পাৰে, সেইটো তেওঁৰ হৃদয়ঙ্গম হোৱা নাই!

(মৌন, চিন্তাযুক্ত)

অহঃ! চক্ৰধ্বজতৰু যিৰূপে ভূপতিত হৈছে, মোহবশত শব্দায়মান মহা অভিমানী বাণৰজাও সেইৰূপে অনতিপলমে মহীতলত নিপতিত হ'ব! বাণৰাজে আশুতোষ হৰ-মহাভৈৰৱীৰ প্ৰসাদত ত্ৰৈলোক্যবিজয়ী হ'বলৈ উদ্বাউল দি উঠিছে; কিন্তু শেহাস্তৰত যে তেওঁৰেই সমূলঞ্চে পতন নিশ্চয়, সি তেওঁৰ কল্পনালৈকো অহা নাই! তাৰ ফলত যে দানৱকুল অচিৰে নিৰ্ম্মূল হ'ব, তাকো তেওঁ ভবা নাই!

(ক্ষন্তেক টলকা মাৰি ভাবিবলৈ ধৰে)

উপস্থিত উৎপাতবোৰ সম্প্ৰতিকলৈ অলীক বা

অৰ্থশূন্য বিবেচিত হ'ব পাৰে, কিন্তু মহোৎপাতজনিত ভয় কাচিতো অসাৰ নহয়। শঙ্কৰ ত্ৰিনয়ন হৰ স্বয়ং আৰু মহাবীৰ্য্যবান কুমাৰ কাৰ্ত্তিকেয় বাণৰজাৰ প্ৰতি সদয় হেতুকে সম্প্ৰতি দানৱকুলৰ বিপৰ্য্যয় নঘটিব পাৰে, কিন্তু পৰিণাম অতি ভয়ঙ্কৰ! দেৱতাৰ প্ৰতি দ্ৰোহ আচৰি পিতৃ বলিৰজাৰ যি দশা মিলিল, সেই একে কাৰণতে পুত্ৰ বাণ ৰজাৰো সেই দশাই মিলিব যে সি ধ্ৰুৱ। কিন্তু, কি কৰিম! ভাবি পাৰ নাপাওঁ! যি হওক, যাওঁ, ৰাজাজ্ঞা পালন কৰোঁগৈ। (প্ৰস্থান)

(উধাতুথাই এটা দূতৰ প্ৰৱেশ)

দূত।- ক'তা, নাইচোন? মন্ত্ৰী ডাঙ্গৰীয়া ইয়াত নাই দেখোন! নাই, মই কেনিবাদি আহি ক'ৰবাত হে ওলালোঁহি! গৈছে বা কলৈ, আছেগৈ বা ক'ত, কেনেকৈ পাওঁ মই তাৰ ওৰটো এতিয়া? ৰজাৰ আজ্ঞা মতে তেওঁক তুৰন্তে মাতি নিবলৈ মোক পাচিছিল, উলটি ৰজাত জনামগৈ কি? নাই, নাপালোঁ বুলিলেও আমাৰ ফালে পতং! কি কৰোঁ, কলৈ যাওঁ, ক'ত মৰোঁগৈ!

(বলিয়াৰ দৰে ঢাপলি ধৰি প্ৰস্থান)

পঞ্চম গৰ্ভাঙ্ক

মহাভৈৰৱী-মন্দিৰ,—ধ্যানমগ্না উষা

(দেৱী-ভৈৰৱীৰ আবিৰ্ভাব)

দেৱী।—তুষ্ট মই বাছা! তৱ
শুদ্ধ ভকতিত। কোৱাঁ তৱ বাঞ্ছা কিবা?
—মাগিবাঁ কি বৰ?

উষা।—(আঁখি উন্মিলিত) ই কি! মাতৃ মোৰ!
দিলাঁ দৰিশন, দয়াপৰৱশ হই!

দেৱী।—বাঞ্ছা সিদ্ধি হোক।
কোৱাঁ কি সাধিছাঁ বাছা?

উষা।—সৰ্ব্বজ্ঞানী ভগৱতী!
নাজানোঁ কি মাগোঁ; নোৱাৰোঁ ফুটাব ভাব,
—ভাষাৰ অভাৱ!

দেৱী।—বুজিছোঁ তোমাৰ
গুহ্যতম গুপ্তভাব; নালাগে ফুটাব
ভাষাৰ ৰহণ সানি। বাঞ্ছাসিদ্ধি হ'ব
জানাঁ, যথাসময়ত।

উষা।-(কাতৰা হৈ) কেতিয়া, কিৰূপে, মাতৃ,
হ'ব বাঞ্ছা সিদ্ধি? নাপাওঁ যদ্যপি তাৰ
সঠিক সন্ধেদ, নেৰিম তপস্যা মোৰ-
সাধনা সিদ্ধিৰ।

(দেৱী অন্তৰ্দ্ধান)

উষা।—(চকু মুদি আৰাধনাৰ গীত গায়)

টৌৰি—ঢিমেতেতালা

জয় দুৰ্গা দুৰ্গতিনাশিনী।
হে বিপদতাৰিণী॥
আপদনিস্তাৰিণী, তাপক্ষয়কাৰিণী,
মিলিলে অপায়, উমা,
শান্তিছাঁয়াদায়িনী॥

(তিনিবাৰমান ঘূনাই ঘূৰাই গা'ই মৌন)

(দেৱীৰ পুনঃ আবিভাৱ)

দেৱী।—লোৱাঁ বাছা লোৱাঁ বৰ। আগামী শুক্লা বহাগত, দ্বাদশীৰ নিশা, হৰ্ম্মোপৰি শয্যাগতা থাকোতে তুমি, তোমাক স্বপ্নত যি কৰিব সম্ভোগ, সেই জন হ'ব তৱ স্বামী।

(দেৱী অন্তৰ্দ্ধান)

উষা।—(হৰ্ষবিহ্বলা হৈ) ধন্য মোৰ ধ্যান! সাধনাৰ সিদ্ধিলাভ অনতিপলমে হ'ব বুলি পালোঁ সন্নিধান!

(কুম্ভাণ্ডনন্দিনী প্ৰজ্ঞাৰ প্ৰৱেশ)

প্ৰজ্ঞা।—(উগুলথুগুল ভাৱে) কিবা পালাঁ
দেৱী-সন্নিধান?—সখীচোন হৃষ্টমনা!
যুগুত বিধান কিবা দিলে ভৈৰৱীয়ে
ব্ৰহ্মচৰ্য্য ব্ৰত তৱ ৰক্ষণৰ হেতু?
কোৱাঁ সখী!—নকৰাঁ পলম।

উষা।—(লাজুকীভাৱে) কিনো কম সখী!
বিশেষণে সবিশেষ বুজিবাঁ যি হয়;—
কথাৰ অভাৱ মোৰ!

প্ৰজ্ঞা।—বুজিছোঁ ভাবত,
সাধনাৰ সিদ্ধিলাভ হইছে তোমাৰ।
তথাপিতো, কোৱাঁচোন, স্বৰূপ কথাৰে,
পালাঁ কিবা বৰদান?

উষা।—(হাঁহি হাঁহি) নেৰিছা যেতিয়া তুমি,
নহ'ব নকলে! শুনা কওঁ, দৈৱ-বাণী,
দেৱী বচনেৰে এই: দ্বাদশীৰ ৰাতি,
অহা শুক্লা বহাগত, থাকোতে নিদ্ৰিতা,
যিজনে ভুঞ্জিব আহি সপোনত মোক,
তেৱেঁ মোৰ স্বামী।

প্ৰজ্ঞা।—অতি শুভ সমিধান!
উঠাঁ তেন্তে, বলাঁ যাওঁ, অন্তপুৰলই
বহুকাল পাচে।

উষা।—(আচৰিত মানি) বহুকাল!
কিনো কোৱাঁ সখী! এদিন এৰাতি মাথো
আছিলোঁ ধ্যানত।

প্ৰজ্ঞা। -স্বৰূপতে বহুকাল,
নৰৰ এযুগ, সম্পূৰ্ণে বছৰ বাৰ।
ই ছেগতে সৃষ্টি এক নতুন নগৰ,
তোমাৰ কাৰণে।

উষা।-- সঁচাকে, লাগিছে হয়,
নতুন! নতুন!—কি কাৰণে, কিবা অৰ্থে,
সৃষ্টি এই নগৰৰ? নোহে বাণপুৰ
ই নৱ নগৰ। কি হেতু ই অগ্নিগড়?
—বিচিত্ৰ কৌশল!

প্ৰজ্ঞা।—কন্যাপুৰ নামে এই নতুন নগৰ।
শুনিবাঁ সমস্তে। বুজিবাঁ উদ্দেশ্য যিবা।
আহাঁ এবে, প্ৰৱেশাঁহি নিজ অন্তঃপুৰ।
সখীসৱে আগ্ৰহেৰে কৰিছে প্ৰতীক্ষা
তৱ আগমন।

উষা।--(উলাহিত হৈ) বলাঁ বাৰু, সখী!
নিয়াঁ মোক যেনি হয়,- অনাভুৱা মই।
অজ্ঞাৰ সাৰথি প্ৰজ্ঞা; তৱ অনুগামী
হই গই থাকোঁ মই।--কিযে মনোৰম
দৃশ্য আজি জগতৰ!

(প্ৰস্থান)

দ্বিতীয় অঙ্ক

প্ৰথম দৃশ্য

মহাভৈৰৱ মন্দিৰ

ভৈৰৱ-ভৈৰৱীবৃন্দপৰিবৃত মহাভৈৰৱ-মহাভৈৰৱী)

(ভৈৰৱ-ভৈৰৱীবৃন্দৰ নৃত্যগীত)

শঙ্কৰী কীৰ্ত্তন

জয় ভৱ শঙ্কৰ, জগতকাৰণ,
জগদীশ জগতত্তাৰণ হে।
ভৱতীভৱাৰ্ণৱ, ভৱানীবল্লভ
জগজ্জন মনোমোহন হে॥
ক্ষণে ৰ'দ ক্ষণে মেঘ, ক্ষণেকে প্ৰলয় বেশ,
ক্ষণে নিমলি ত্ৰিনয়ন হে।
কল্পতৰু আশুতোষ, মহেশ মহাৰ্ণৱ
ৰুদ্ৰৰূপ সংহাৰকাৰণ হে॥ (নীৰৱ)

মহাভৈৰৱ।-শুনাঁ মোৰ শিষ্যপুত্ৰগণ! তুষ্ট আমি তোমাসাৰ প্ৰীতি-ভকতিত। তুষ্ট সদা আশুতোষ গৌৰী সমন্বিতে। তুষ্ট আৰু কাৰ্ত্তিকেয়, বাণাগ্ৰজ, দেৱীৰ তনয়।

ভৈৰৱ নেতা।—(ভৈৰৱ-ভৈৰৱীবৃন্দে আঁঠু লয়) মানিছোঁ প্ৰত্যেক। আমাসাৰ ভক্তি-মতি ভকতি হিয়াৰ, বাঢে যেন দিনে দিনে।

মহাভৈৰৱী।—বুলিছোঁ তথাস্তু।

ভৈৰৱীনেতৃ।—সাৰোগত আশীৰ্ব্বাদ অপত্য স্নেহৰ, মানিছোঁ সবাৰে আমি, মানিম সততে।

মহাভৈৰৱ।—শুনা! সৱে আৰু যিবা আছে আমাসাৰ কবলই। নন্দী-ভৃঙ্গী নাচে-গায়, যিবা ৰূপে, দুয়োপাশে, শিৱ-শিৱানীৰ, তদ্ৰূপ গোৱাঁ-নাচাঁ তোমাসৱে সততে আমাসাৰ আশে-পাশে। নন্দী-ভৃঙ্গী অবিচ্ছেদ

অঙ্গীভূত দেৱী-মহেশ্বৰ; তোমাসৰো অবিচ্ছেদ
অঙ্গীভূত আমাসাৰ জানা। চিৰঞ্জীৱী হোৱাঁ সৱে,
অচলা ভক্তিৰে, —এয়ে বাঞ্ছা আমাসাৰ।

ভৈৰৱনেতা।—পৰম সৌভাগ্য বুলি মানিছোঁ সবাৱে।
থাকে যেন মতি-গতি স্থিৰে সদাকাল; ইমানে
গোহাৰি মাথোঁ।

মহাভৈৰৱী।—বুলিছোঁ তথাস্তু।

ভৈৰৱীনেতৃ—শিৰোধাৰ্য্য আশীৰ্ব্বাদ।

(বাণ ৰজা আৰু কুম্ভাণ্ড মন্ত্ৰীৰ প্ৰৱেশ)

বাণ।—প্ৰণামোঁ দোঁহাকে (প্ৰণিপাত)।

কুম্ভাণ্ড।—আমাৰো প্ৰণতি
দুয়ে কৰোক গ্ৰহণ (প্ৰণিপাত)

মহাভৈৰৱী।—হোৱাঁ চিৰঞ্জীৱী দুয়ো।

মহাভৈৰৱ।—লভিবাঁ আশীষ্ মোৰ,
ৰজা-মন্ত্ৰী দুয়ে। ৰাজকৰ্ম্ম ৰাজধৰ্ম্ম
পালিবা যতনে।

বাণ।—শিৰে ধৰোঁ আশীৰ্ব্বাদ।
লভোঁ যেন সদাকালে কৃপা ইথানৰ।
বাঞ্ছোঁ বলবীৰ্য্য কাৰ্ত্তিকেয় অগ্ৰজৰ
আপদে সম্পদে। থাকে যেন মতি স্থিৰ
হৰ-গৌৰী চৰণত।

মহাভৈৰৱী।—সিদ্ধি হোক মনোৰথ।
বুলিছোঁ তথাস্তু।

মহাভৈৰৱ।—সদা বাঞ্ছা আমাসাৰ,
ৰাজকাৰ্য্য জয়যুক্ত হোক তোমাসাৰ।
চলিছে এতিয়া জানো সদা নিৰাপদে,
ৰাজ্যৰ শাসন?

কুম্ভাণ্ড।—প্ৰভুপদ আশীৰ্ব্বাদে
চলিছে ভালেই; ঘটা নাই বিপৰ্য্যয়
অদ্যাপি এথোন।

বাণ।—কিন্তু প্ৰভো! অনতিপলমে
ঘটিব প্ৰমাদ, বাজিছে ইহেন প্ৰাণ।

মহাভৈৰৱ।—কিবা সি প্ৰমাদ?
কাৰ গাত ফলিয়াব ফলাফল তাৰ?

কুম্ভাণ্ড।—অবিদিত নোহে একো
প্ৰভু চৰণৰ। নিজে বুজি লয় যেন,
নিজ প্ৰশ্নোত্তৰ।

মহাভৈৰৱ।—(হাঁহিমুখে) যথাযোগ্য সমিচাৰ
সুযোগ্য মন্ত্ৰীৰ, উলটি আমাকে বাল্ধে!
বুজিছোঁ বিশেষ। পাইছোঁ সুমৰি তাৰ
তত্ত্ব সবিশেষ। আগন্তুক নিদৰ্শন
মিলিছে নে কিবা?

বাণ। ইও নোহে অবিদিত
প্ৰভু চৰণৰ। যিদিনা লভিলোঁ বৰ
হৰ মহেশ্বৰ, সিদিনাৰ নিদৰ্শন
পোৱা হ'ল প্ৰত্যক্ষতে,—ভঙ্গ ধ্বজচূড়া
ৰাজভৱনৰ।

মহাভৈৰৱ।—জানোঁ সবিস্তাৰ
ধ্বজভঙ্গ ঘটনাৰ কথা। সেয়ে সেই
নিদৰ্শন জানিছোঁ ধ্ৰুৱপ্।

কুম্ভাণ্ড।—জানিছে সমস্তে আৰু
অনুষঙ্গী অমঙ্গল চিন্ যতমানে।
তাতে হে লাগিছে দ্বিধা, ঘাট জানো কিবা
হিতে বিপৰীত।

বাণ।—তাতে হে চাপিছোঁ কাষ,
লবলই উপদেশ, যি দিয়ে প্ৰভুৱে
ভাবি চিন্তি চাই।

মহাভৈৰৱ।—যথা ইচ্ছা, তথা বাট।
ইচ্ছাৰ গতিক নোৱাৰে বাধিব কেৱেঁ।
এতেকে, বুজিবাঁ, তাত অমঙ্গল নাই;
যি কৰে ঈশ্বৰে, ভাল মানুহ কাৰণে।
হ'ব লাগে আয়োজন ৰণৰ উদ্দেশে,
দিছোঁ উপদেশ।

বাণ।—(উৎসাহিত হৈ) ধন্য গুৰুদেৱ!
ধন্য তৱ সুবিচাৰ! কামনা সফল
হ'ব তেন্তে অচিৰতে?

মহাভৈৰৱ।—নহ'বৰ নেদেখোঁ কাৰণ। আগন্তুক

মহাৰণ ঘটিব অৱশ্যে, নিদৰ্শন
তাৰ মিলিছে-যেতিয়া।

কুম্ভাণ্ড।—(স্বগতঃ) মিলিছে অৱশ্যে ;—
ঘোৰ অমঙ্গল চিন্!

বাণ।—(উলাহিত হৈ) সিদ্ধি হ'ব মনোৰথ।
বলা মন্ত্ৰী! কৰোঁগই ৰণ-আয়োজন।
পূৰাম ইবাৰ মোৰ ৰণ হাবিয়াস।
বাকী নাই জিনিবৰ দেৱৰাজ বিনে ;
জিনিম ইবাৰ সেই মহা অভিমানী
ইন্দ্ৰ দেৱতাক। দেৱলোক হ'ব মোৰ
আয়ত্ত-অধীন। দেৱতা আশ্ৰম হ'ব
পাতালপুৰত! আৰু ৰব বাকী এক,—
বৈকুণ্ঠৰ হৰি ; নৰব অজেয় হই
তেৱোঁ শেহন্তত,—হৰৰ বলেৰে মই
জিনিম হৰিক। অখণ্ড প্ৰতাপ মোৰ
বুজিব জগতে। আৰু মোত্ কথা নাই'।
ইমানতে মনে মোৰ লভিব বিৰতি।
এতেকতে উঠা মন্ত্ৰী! নকৰোঁ পলম,
অনতি পলমে গই কৰোঁ যথোচিত
ৰণ-আয়োজন।

(বাণ আৰু কুম্ভাণ্ডই প্ৰণাম কৰে)

মহাভৈৰৱ।—সিদ্ধি হোক মনোৰথ।

মহাভৈৰৱী।— বুলিছোঁ তথাস্ত।

(বাণ আৰু কুম্ভাণ্ডৰ প্ৰস্থান)

মহাভৈৰৱ।- আমাৰো সময় হ'ল,
ধৰোঁগই, যথাৰীতি, সান্ধ্য আৰতিত,
-হৰ-গৌৰী পূজা।

(সবাৰো প্ৰস্থান)

দ্বিতীয় দৃশ্য

কন্যাপুৰ,—উষা-উদ্যান

(উষা, প্ৰজ্ঞা আৰু চিত্ৰলেখা)

উষা।—চোৱাচোঁ চোৱাচোঁ, হেৰা
প্ৰাণসখীদ্বয়, চোৱাচোঁ কেনুৱা দেহি,
সৌ জোন্‌বাইটি! হাঁহি হাঁহি ভাহি যায়
আমালই চাই।

প্ৰজ্ঞা।—সঁচা, মাতিছে আমাকো।

চিত্ৰলেখা।—বলা তেন্তে যাওঁইক ?

প্ৰজ্ঞা।—হোৱা হলে তোমাদৰে
পাখিলগা সখী, নাথাকোঁ নিশ্চয় বহি,
গলোঁ হয় উৰি!

উষা।—দেহি ঐ! কেনেকৈ
আলাসতে ভাহি যায়, উলাহতে হাঁহে,—
সুগোল বয়ানখানি!—চিন্তাশূন্য প্ৰাণ!
—সংসাৰ-জঞ্জাল নাই।

চিত্ৰলেখা।—নোহে চিন্তাশূন্য, সখী!
আছে তাৰো বহু সংসাৰৰ দিয়া-লোৱা,
সংসাৰী প্ৰাণৰ।

উষা।—(আমনজিমনকৈ) একেদশা মোৰে স'তে।

প্ৰজ্ঞা। —(চুপতিব চেৱে) তুমি আৰু' কিয় ?

চিত্ৰলেখা।—(খেঁজেলিয়াই) ভাবীদশা গণে জানো ?

উষা।—(মুখ আমোলাই) কি দিম উত্তৰ! (মৌন)

(দুফালৰপৰা গীত গাই গাই দানৱী কন্যাগণৰ প্ৰৱেশ)

গীত

সাহানা—ঝাঁপতাল

আহাঁ, আহাঁ, সখী মিলি ফুলনি সোমাওঁ।
জাতি, যুতী, বেলকলি, কোঁচভৰি লওঁ॥
বিল-বিৰহিনী,
কান্দে কুমুদিনী,
হিয়া পাতি পাতি, পূৰ্ণিমাৰ ৰাতি,
মাতে আকাশৰ জোন্, সেন্দুৰীয়া কেঁচাসোণ,
আহাঁ সৱে চাপি গই পৰাণ জুৰাওঁ।
ফুলমালা গাথি আমি ফুলকে পিন্ধাওঁ॥
অকাশতো আছে ফুলি,
কোটী কোটী ভেঁটকলি,
ফুলি আছে কুমুদিনী, চক্‌মক্ সৌদামিনী,
আহাঁ যাওঁ আনোগই, সৱে মিলি উৰি গই ;

তুলি আনি মালা গাথি সখীক পিন্ধাওঁ।
বিষাদী ধৰাক আহা হাহিৰে বুৰাওঁ॥

চিত্ৰলেখা।—শাঁত কৰে প্ৰাণ
বৰষি অমৃত যেন! পাহৰোঁ সমুলি
হায়, সংসাৰ ভাবনা!

প্ৰজ্ঞা।—এয়ে শ্ৰাব্য সুধা,—
বসুধাবুকুত সৃষ্টি সঙ্গীত নিজৰা
শিল্পী বিশ্বৰচোতাৰ!

উষা।—লগা নাই ভাল হায়,
কিবা লাগি যায়! নিদিয়ে জুৰণি গীতে।
কিবা কৰে মন!

চিত্ৰলেখা।—কিয় সখী!
কিয় মন এনে উচাতন?

প্ৰজ্ঞা।—সুধিবৰ নাই প্ৰয়োজন; ভাবি চোৱাঁ
পাবাঁ সমিধান,—সখীৰ পৰাণে আজি
বিচাৰিছে সখা!

চিত্ৰলেখা।—নিবিচাৰোঁ সমিধান।
পাইছোঁ বিচাৰি, কিহে কৰে বিয়াকুল
সখীপ্ৰাণ এনেদৰে। ধৰাচোঁ ইবাৰ
বিয়ানাম এটি।

প্ৰজ্ঞা।—ধৰি দিয়াঁ তুমি,—
ধৰোঁ আমি সৰে মিলি।

চিত্ৰলেখা।—ধৰা বাৰু, দিছোঁ ধৰি: (চিত্ৰলেখাই লগাই
দিয়ে; অপৰ সখীগণে ঐকাতানে গায়)

ৰাম, ৰাম! চিন্তা নকৰিবাঁ,
ৰাম, ৰাম! আমাৰে আইদেউ,
ৰাম, ৰাম! হবাগৈ আলাসৰ লাৰু।
ৰাম, ৰাম! সোণাৰি-শালতে,
ৰাম, ৰাম! দিনে টিকেটিকায়,
ৰাম, ৰাম! আইদেউৰ হাতলৈ থাৰু॥
ৰাম, ৰাম! ভৰলী কাষৰৰ,
ৰাম, ৰাম! চিৰলী ঢেঁকিয়া,
ৰাম, ৰাম! সোণালি শৰাইতে বাছোঁ।
ৰাম, ৰাম! চিন্তা নকৰিবাঁ,
ৰাম, ৰাম! বাণৰে জীয়াৰী,
ৰাম, ৰাম! চৌপাশে আবৰি আছোঁ॥
ৰাম, ৰাম! কেলেই কুটিলাঁ,
ৰাম, ৰাম! চুমৈকৈ পচলা,
ৰাম, ৰাম। লোকে বাটি ভৰাই খাব।
ৰাম, ৰাম! কেলেই তুলিলাঁ,
ৰাম, ৰাম। ৰূপহী আইদেউক,
ৰাম, ৰাম। লোকে বন কৰাই খাব॥

(গান)

হাহাঁ হাহাঁ চেনেহী সখীটি, সৰু, শোক তিয়াগি!
আৰু দুদিন বাদে স্বামী পাবাঁ প্ৰাণ দিবাঁ উছৰ্গি॥
কিয় ইমানতো তুমি থাকাঁ মনে মাৰি।
নাহক বেৰলে দেহা শুকাই হোৱাঁ কিয় কাতৰী॥

(ক্ষন্তেক নিজম পৰে)

উষা।—(প্ৰজ্ঞাৰ কাণত হলি পৰি) অহ, সখী!
নালাগে একোতেচোন মন!

প্ৰজ্ঞা।—বুজিছোঁ বিশেষ; -
নহবাঁ অধীৰা সখী!

চিত্ৰলেখা।—সময়ে বুজনি দিব,—
লাগিব সকলো ভাল, হ'ব এনে দিন।
ৰাতি হ'ল, বলাঁ যাওঁ, অন্তঃপুৰলই;
নকৰোঁ পলম। (সকলোটিৰ প্ৰস্থান)

তৃতীয় দৃশ্য

বাণপুৰ—দানৱ সেনাগাৰ

(জৰ সেনাপতি আৰু কুম্ভাণ্ড মন্ত্ৰী)

জৰ।—মন্ত্ৰীবৰ! মোৰ এতিয়াও বুজিবলৈ বাকী, কি উদ্দেশ্যে মই ৰণসজ্জাৰ অৰ্থে আদিষ্ট হৈছোঁ। আমি দেখোন অদ্যাপি কোনো দিশৰপৰা ৰণৰ আগন্তুক দেখা নাই। ৰণলৈ কোনোপক্ষ আহূত হব নে আমি ৰণাহূত হম, তাৰো একো সন্তেদ পোৱা নাই। তথাপি, ৰাজাজ্ঞা শিৰোধাৰ্য্য; যথাযোগ্যৰূপে ৰণসজ্জা মই কৰিব লাগিছোঁ।

কুম্ভাণ্ড।—ৰণ-সন্ধান অদ্যাপিময়ো একো পোৱা নাই।

ৰজাৰো অবিদিত, কোন্ ক্ষণত কি ৰণ মিলিব আছি। তথাপিতো ৰজা ৰণৰ উদ্দেশে উত্ৰাৱল; প্ৰতিদণ্ডে আগন্তুক ৰণৰ ক্ষণ গণিব লাগিছে! সেই অনুসৰি, ময়ো অনুমানিক ৰণ-ৰচনা কৰিব লগাত পৰিছোঁ। আপোনাকো সেই উদ্দেশ্যে সষ্টম হ'বলৈ ৰাজাজ্ঞা জ্ঞাপন কৰা গৈছে।

জৰ।—ৰাজাজ্ঞা পালন কৰিবই লাগিছোঁ; ৰজাৰ আদেশ পালনৰ পূৰ্ব্বে তাৰ কাৰণ অন্বেষণ কৰিবলৈ আমাৰ অধিকাৰ নাই। কিন্তু, পক্ষাপক্ষৰ বিবৃতি, ৰণস্থলৰ নিৰ্দ্দৰ্শন, সেনানীৰ বিৱৰণ ইত্যাদি বিষয়ে অগ্ৰিম আভাস পোৱা গলে, সেই অনুযায়ী আয়োজনত ধৰিবলৈ সুচল হয়। মোৰ অধীনত হৰেক সজ্জাৰ পদাতিক, অশ্বাৰোহী আৰু নৌ-সেনা ৰক্ষিত আছে। কোন্ বিধক সুসজ্জিত কৰি সষ্টম হ'ব লাগিব, তাৰ হে দিহাকৰণ হোৱা নাই।

কুম্ভাণ্ড।—ময়ো তদ্ৰূপ অৱস্থাত। ৰণসজ্জাসংযুত হৈ, এক অভাবনীয় মহাৰণৰ প্ৰতীক্ষাত আমি সষ্টম থাকিব লাগে, ইমানেই আমাৰ প্ৰতি অনুজ্ঞা, তাৰ ওপৰঞ্চি আদেশ-উপদেশৰ বিষয়ে বিশদকৈ মই একো ক'ব নোৱাৰোঁ। তথাপি,—(কিবা ভাবি ঠমক খাই ৰয়)

জৰ।—কওক, কৈ যাওক, তথাপি বুলি কি সঙ্কেত দিবলৈ মনস্থ কৰিছে।

কুম্ভাণ্ড।—সিদ্ধান্ত সঙ্কেত্ দিবলৈ মই অক্ষম, কিন্তু কাৰ্য্য দেখি কাৰণৰ অনুমান কৰাৰ দৰে, এটা আনুমানিক আভাস দিব পৰা যায়।

জৰ।—কওক, কৈ পেলাওক। হওক, আনুমানিক হলেও, তাৰপৰা যৎকিঞ্চিত উপকাৰ পাব পাৰি।

কুম্ভাণ্ড।—সেনাপতি! আপোনাৰ অবিদিত নহয়, দানৱৰাজ বাণ নৃপতিয়ে, হৰপ্ৰসাদিত হৈ, ওচৰ-ভৱিষ্যতত এখন অভাবনীয় ৰণ কামনা কৰিছে। সেই ৰণৰ পিপাসা পৰিতৃপ্তিৰ অৰ্থে ৰজা অতিশয় অধৈৰ্য্য হৈ উঠিছে। কিন্তু, কি ৰণ, কাৰ লগত, তাৰ সঠিক সম্ভেদ্ তেৰোঁ পোৱা নাই। মাথোন, সেই সম্পৰ্কে ইমানকে সঙ্কেত্ পোৱা গৈছিল, যিদিনাই তাৰ নিদৰ্শনস্বৰূপ ৰাজভৱন ধ্বজগৃহৰ চূড়াৰপৰা কুমাৰপ্ৰদত্ত ময়ূধ্বৰ্জ অকস্মাৎ উদ্ঘাটিত হৈ ভূমিত পতিত হ'বহি, সেই দিনধৰি এক অভাবনীয় মহাৰণৰ আগন্তুক মিলিব। সেই ৰণত লিপ্ত হৈ বলিনন্দন অমিততেজা বাণৰাজে তেওঁৰ অসহ ৰণতৃষ্ণা পৰিতৃপ্ত কৰিব, এয়ে তেওঁৰ বাসনা।

জৰ।—পিচে, সেই আগন্তুক ক্ষণ মিলিবলৈ আৰু কিমান দিন আছে, ক'ব পাৰে নে?

কুম্ভাণ্ড।—এতিয়াই। ইয়াৰ অলপ আগৰেপৰা সেই আগন্তুক ক্ষণ মিলিছে। সেই বিষয়ে মোৰে সৈতে দানৱৰাজে পৰ্য্যালোচনা কৰি থাকোতেই, বৰলাভৰ নিদৰ্শন কাৰ্য্যত ফলিয়াই উঠিলে;—বাণ-ৰাজভৱনৰ চূড়াত প্ৰোথিত সেই ময়ূধ্বৰ্জ আচম্বিতে উদ্ঘাটিত হৈ ভূমিত পৰিলহি। তাৰ পিচমুহূৰ্ত্তৰপৰা বহুপৰব্যাপী বিবিধ অমঙ্গলসূচক আনুষঙ্গিক দুৰ্ঘটনা ঘটিবলৈ ধৰিলে। মোৰ পক্ষে সি অতীব ভয়াবহ যেন বোধ হ'ল! কিন্তু, ৰণোন্মত্ত বাণ নৃপতি সেই সূচনাত উত্ৰাৱল হৈ উঠিল, -তেওঁ ততালিকে ৰণ-আয়োজনলৈ মোৰ প্ৰতি আদেশ নিয়োগ কৰি, মোৰ পৰামৰ্শলৈ অপেক্ষা নকৰি, উৰুলীকৃত হৈ আনন্দভৱনমুখে সবেগে গমন কৰিলে! এয়ে আদ্যোপান্ত ঘটনাৰ সংক্ষেপ বিৱৰণ। ইয়াৰপৰাই আগন্তুক মহাৰণৰ বিষয়ে আপুনি যি বুজে, বুজি লওক।

জৰ।—বুজিছোঁ বিশেষ। ই এক নিশ্চয় কোনো দৈবিক ৰণ। এই যাত্ৰাত, হয় দেৱৰাজ ইন্দ্ৰ, নহয় তেওঁতকৈও উচ্চতৰ কোনো দৈবিক ক্ষমতা লক্ষিত হৈছে।

কুম্ভাণ্ড।—হ'ব পাৰে সেই উচ্চতম লক্ষ্য স্বয়ং শ্ৰীবিষ্ণু। কাৰণ, তেওঁতপৰ উচ্চতৰ দেৱতা আৰু নাই।

জৰ।—আছে;—তেওঁ দেৱদেৱ মহাদেৱ কৈলাসপতি হৰ-মহেশ্বৰ।

কুষ্মাণ্ড।—সঁচা। মানোঁ। ময়ো সেই কথা। কিন্তু, হৰি-হৰ সমান ক্ষমতা। সেই সমানে সৃষ্টিকৰ্ত্তা ব্ৰহ্মা। এই তিনি ক্ষমতাৰ ইতৰবিশেষ নাই। একে সৃষ্টি কৰে; অপৰে পালন কৰে, অন্যতম অপৰে সংহাৰ কৰে। এই তিনিৰ নিৰ্দ্দিষ্ট কাৰ্য্যত তিনিও স্বতন্ত্ৰবীৰ্য্যাকৈ অদ্বিতীয় শক্তি। যেতিয়া অগ্ৰনামী দুই শক্তিৰ সংঘৰ্ষণত প্ৰলয় ঘটে, তেতিয়া তৃতীয় নামী শক্তি স্বয়ং সৃষ্টিকৰ্ত্তা ব্ৰহ্মাই মধ্যস্থ হৈ তেওঁৰ সৃষ্টি ৰক্ষা কৰে, কিম্বা নতুন সৃষ্টি ৰচনা কৰে।

জ্বৰ।—তথাপি, সংহাৰ কাৰ্য্য সবাতকৈ ওপৰ। কাৰণ, সৃষ্টি-স্থিতিত সংহাৰলৈ স্থল থাকে, কিন্তু সংহাৰৰ পাচত সংস্কাৰলৈ আৰু একো নাথাকে। গতিকে, জগত গঠনৰ মূল তিনি শক্তি ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰৰ মাজত, ৰুদ্ৰৰ শক্তি সবাতোকৈ শ্ৰেষ্ঠ, অৰ্থাৎ, ৰুদ্ৰৰূপী দেৱদেৱ মহাদেৱ হৰ ঈশ্বৰো ঈশ্বৰ মহেশ্বৰ।

কুষ্মাণ্ড।—হেৰা বীৰবৰ! আপোনাৰ যুক্তি অৱশ্যে সাৰুৱা। কিন্তু, সৃষ্টিতত্ত্ব অতি নিগূঢ় ৰহস্য। এই ৰহস্য ভেদ কৰা সৃষ্ট প্ৰাণীৰ সাধ্যাতীত। এই বিষয়ক স্বৰূপ ধাৰণা উপলব্ধি কৰা সমাধিস্থ যোগীৰ পক্ষেও দুঃসাধ্য। সেই হে কওঁ, দেৱতাৰ বৰ দান সততে দ্ব্যৰ্থবোধক, কিম্বা হেতুমূলক। বলিনন্দন বাণৰাজে হৰ-গৌৰীৰ কৃপাত দেৱীৰ পুত্ৰত্ব লাভ কৰিছে, সহস্ৰবাহু পৰিমিত অজেয় বল লাভ কৰিছে। কিন্তু, সেই অনুযায়ী তেওঁ যেতিয়া এখন মহাৰণ বাঞ্ছা কৰে, তেতিয়া তেওঁক সেই বৰদাতা আশুতোষ হৰ-মহেশ্বৰে এই বুলি হেতু ৰাখি বৰদান দিছিল, "হেৰা, মহাসুৰ! হৰি, হৰ আৰু কুমাৰ কাৰ্ত্তিকেয়ত বাজে ত্ৰিভুৱনত তোমাক জিনোতা নোলাব।"

জ্বৰ।—তেনেহলে, তেওঁ অজেয় হ'ল কেনেকৈ? তেওঁৰ বৰদাতা হৰ-মহেশ্বৰ আৰু ধৰ্ম্মাগ্ৰজ কাৰ্ত্তিকেয়ত বাজেও দেখোন অপৰ এক মহাশক্তি তেওঁক জিনোতা আছে।

কুষ্মাণ্ড।—তাকে তো কৈ আহিছোঁ, বোলোঁ সেই তিনি শক্তিৰ মাজতে দৈত্যাৰি বিষ্ণুৰ অংশ হৰিশক্তি বৰ্ত্তমান আছে। কুমাৰ কাৰ্ত্তিকেয় সমন্বিতে হৰ-মহেশ্বৰ সততে দৈত্যকুল ৰক্ষাৰ হেতু মহাভৈৰৱত অৱস্থিত, আৰু সেই কল্পেই সমীপতে মহাভৈৰৱীত স্বয়ং দেৱী'য় স্থিতি কৰিছে। কিন্তু, শ্ৰীহৰিৰ অৱস্থিতি ইয়াত নাই, শ্ৰীকৃষ্ণৰূপে তেওঁ দ্বাৰকাত হে আছে। দৈৱিক ঘটনাক্ৰমে যেতিয়াই-তেতিয়াই য'তে ত'তে আচম্বিতে শ্ৰীহৰিৰ আবিৰ্ভাব হয়। দৈত্যকুলচূড়ামণি মহাভুজ বাণ ৰজাৰ জনক প্ৰখ্যাত বলিৰজাক ছলনা কৰা শ্ৰীহৰিৰ আখ্যান ইয়াৰ এটা বিশিষ্ট প্ৰমাণ।

জ্বৰ। যেহে হওক! হয় যদি স্বয়ং শ্ৰীহৰি প্ৰতিদ্বন্দ্বী, তথাপি নডৰায় জ্বৰে। জ্বৰৰ প্ৰভাৱ নোৱাৰে খণ্ডাব কেৱে। জ্বৰৰ নামত ত্ৰিভুৱন কম্পমান্! জ্বৰপৰশনত হৰহৰি কঁপে ঠৰঠৰি! জ্বৰৰ প্ৰকোপত দেৱতা, দানৱ, কিন্নৰ, উৰগ, যক্ষ, ৰাক্ষস, গন্ধৰ্ব্ব, অসুৰ, দৈত্য, নৰ সমস্ত জৰ্জ্জৰিত! সেই জ্বৰ মই!—মই ডৰাম কাক? মোৰে সৈতে লৰে, এনে বীৰ আছে কোন্ ত্ৰিভুৱনত? মন্ত্ৰী! চিন্তাৰ কাৰণ নাই। স্বয়ং শ্ৰীবিষ্ণু আহিলেও জিনিম নিশ্চয়। জ্বৰৰ প্ৰকোপ নোৱাৰে সহিব কেৱেঁ। এই জ্বৰৰ বৰ্ত্তমানে বাণ ৰজাৰ পৰাজয় মনতো নানিব আপুনি।

কুষ্মাণ্ড।—ধন্য জ্বৰ! মহাবীৰ আপুনি। আপোনাৰ বল-বিক্ৰমৰ বিষয় মোৰ অবিদিত নহয়। বিগত সুৰাসুৰ-ৰণত আপুনি যি বীৰত্ব প্ৰকাশ কৰিছিল, সি মোৰ চিত্ৰপটত অদ্যাপি ফট্‌ফটীয়াকৈ জিলিকি আছে। তথাপি—

জ্বৰ।—নাখাটে তথাপি! নাপায় তথাপিয়ে ঠাই ইয়াত পৰত! যাওঁ, মন্ত্ৰী!—মাতিছে কৰ্ত্তব্যে মোক! ক্ষমিব মোৰ দায়।

(উত্তাৱলভাৱে জ্বৰৰ প্ৰস্থান)

কুষ্মাণ্ড।—ধন্য বীৰ! ধন্য জ্বৰ নাম তোমাৰ! ধন্য মই!

ধন্য মোৰ দেশ, যি দেশত জনম আজি ইহেন বীৰৰ! আৰু ধন্য দৈত্যকুল! ধন্য দৈত্যেশ্বৰ বাণ নৃপমণি, আজ্ঞাধীন যাৰ এই হেন বীৰ! নাই চিন্তা। নকৰোঁ আশঙ্কা। আগন্তুক ৰণত, নাই পৰাজয়, অজেয় বাণৰ। যাওঁ ময়ো। নকৰোঁ পলম। কৰোঁগৈ ৰণ-আয়োজন ৰাজ-আজ্ঞা অনুসৰি।

(হৰিষ্ মনেৰে ধীৰে-ধীৰে প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

দৃশ্য,—উষা-অন্তঃপুৰ, শয়নকক্ষ

(সখীপৰিবৃতা উষাদেৱী 'হৰ্ম্ম্যোপৰি' নিদ্ৰিতা)

উষা।—(সপোন দেখি ৰোমাঞ্চিত হৈ উঠি) হাঁয়, হাঁয়। ইকি হ'ল মোৰ। কোনে কৰিলেহি মোৰ এনুৱা দশা! কোনে ভাঙ্গিলেহি মোৰ ব্ৰহ্মচৰ্য্য ব্ৰত? আছোঁ ক'ত মই? ই দিঠক নে সপোন? হাঁয়। কি কাম কৰিলো মই। কোন তেওঁ? আহিছিল কেনি? গ'ল কেনি গুচি? অহঃ, কি মোৰ কপাল! নাইচোন সেই পুৰুষৰতন! (বাউলী হৈ চিয়ঁৰিবলৈ ধৰে) হাঁয়! হাঁয়! সখী! সখী! সখী!—

(সখীসৱে চাঁত্‌কৰে সাৰ পাই উঠি উষাক আবৰি ধৰেগৈ)

চিত্ৰলেখা।—কি হ'ল! কি হ'ল, প্ৰাণসখী মোৰ! কিয় এনে বিয়াকুল? সখী ঐ, নকৰিবাঁ ভয়। নাকান্দিবাঁ। নকঁপিবাঁ। নকৰাঁ বিলাপ।

উষা।—(উৰাউল দি) নাজানোঁ কি হ'ল। হাঁয়! কোনে ভাঙ্গে আহি, ব্ৰহ্মচৰ্য্যব্ৰত মোৰ? কেনি গ'ল তেওঁ?

চিত্ৰলেখা।—নহ'বাঁ বিভ্ৰম সখী। কাৰ সাধ্য, ভাঙ্গে আহি ব্ৰহ্মচৰ্য্যব্ৰত তোমাৰ? তুমি প্ৰখ্যাত বলি ৰজাৰ নাতিনী হৈ কিয় এনে ভয়াতুৰা হৈছাঁ? যাক দেৱতায়ো ডৰায়, সেই বাণ ৰজাঁৰ জীয়াৰী হৈ তুমি কালৈ ডৰাইছাঁ? জানাঁ সখী! তোমাৰ পিতৃ মহাসুৰ বাণ ৰজা সুৰাসুৰৰ অন্তক; তেওঁৰ ভয়ত ত্ৰিভুৱন কম্পমান! তোমাৰ কি ভয় আছে? আৰু সখী! এইহেন সুৰক্ষিত পকী ভৱনৰ ভিতৰ সোমায়, কাৰ এনে সাহ! নাই, সি অসম্ভৱ কথা। স্থিৰ হোৱাঁ, গমি চোৱাঁ সখী।

উষা -(আতুৰ হৈ) সখী ঐ! নামানে বুজনি মনে! ভাষা নাই ক'বলৈ অন্তৰৰ কথা!

চিত্ৰলেখা।—কোৱাঁ সখী, যিবা পাৱাঁ স্বৰূপ ঘটনা কথা। বিকাৰ নুবুজিলে বেজৰ মন্ত্ৰ নাখাটে।

উষা।—সখী ঐ! কিনো কম দুৰ্ভাগ্যৰ কথা। টোপনিত বিৱশ হৈ থাকোতে এই অভাগিনীক এজন অচিনাকি মদনমোহন পুৰুষৰতনে সম্ভোগ কৰিলেহি; ময়ো তেওঁক প্ৰাণভৰি উপভোগ কৰিলোঁ। মোৰ ব্ৰহ্মচৰ্য্যব্ৰত ভঙ্গ হ'ল!

প্ৰজ্ঞা।—কিনো কোৱাঁ সখী! সি যে সপোন-সম্ভোগ। তাত কোনো অৰ্থ নাই। তাৰপৰা পাপৰ সঞ্চাৰ হ'ব নোৱাৰে। সেইবাবে তোমাৰ ব্ৰহ্মচৰ্য্য ব্ৰত ভঙ্গ হোৱা নাই।

উষা।—কিন্তু হাঁয়! সপোন হলেও, মোৰ মানত সি দিঠক যেন লাগিছে! মোৰ সতীত্বহাৰী সেই কন্দৰ্পতনু পুৰুষৰতনৰ সহবাসত মই ইপ্সিতভাৱে সঙ্গতা হৈছিলোঁ! সেইভাৱে দূষিতা হৈ, মই সাধ্বী নামে কেনেকৈ জীৱনধাৰণ কৰিম? মোৰ দেৱাৰি অৰিন্দম পিতৃৰ আগত মই কি বুলি মুখ দেখুৱাম? মই যি স্থলত মোৰ এইহেন তেজিয়ান কুলৰ কলঙ্কিনী হলোঁ, সেই স্থলত মোৰ মৰণেই শ্ৰেয়ঃ; মই আৰু জীয়াই থকাৰ সকাম নাই সখী।

প্ৰজ্ঞা।—হে কুমাৰী!—তুমি জীয়াৰী, বোৱাৰী নহয়। তোমাৰ ব্ৰহ্মচৰ্য্য ব্ৰত ভঙ্গ হ'ব পাৰে, কিন্তু সতীত্ব নষ্ট হ'ব নোৱাৰে।

উষা।—হাঁয়! অবিবাহিতা জীয়াৰীৰ ব্ৰহ্মচৰ্য্য ব্ৰত ভঙ্গ হোৱাৰ পাচত আৰু জীৱন-মাধুৰী নাথাকে। সাধ্বী, সতী, ব্ৰতাচাৰিণী জীয়াৰীয়ে হে জীৱনধাৰণ স্পৃহা কৰা শোভনীয়; কিন্তু এই স্খলিতা

কুলাঙ্গাৰিণী কুমাৰীৰ সেই স্পৃহালৈ অধিকাৰ নাই। এতেকে, মোৰ মৰণেই হে গতি।

চিত্ৰলেখা।—প্ৰকৃততে পাপ আচৰিছা যদি, মৰণতো গতি নাই। জীয়াই থাকি তাক খণ্ডাবলৈ চোৱা হে যুক্তি।

প্ৰজ্ঞা।—সখী! তুমি অসৎ অভিপ্ৰায়ে স্ব-ইচ্ছাৰে এই কল্পিত দোষাচৰণ কৰা হলে, অৱশ্যে তোমাক তাৰ পাপে পৰশিলেহেঁতেন, কিন্তু সপোনমোহত অনাহূত জনে তোমাৰ ৰতি চুৰ কৰিছে, গতিকে তোমাৰ ব্ৰতভঙ্গ ভ্ৰম মাথোন, সতীত্বহৰণ হোৱা নাই।

উষা।—সখী, মোৰ মনে নামানে সেই কথা। ভুল ভ্ৰান্তিত হলেও, কৃতদোষ খণ্ডন নাযায়।

প্ৰজ্ঞা।—কিন্তু, হে দেৱী! ধৰ্ম্মতঃ, বিপ্ৰৰ্ষিগণৰ মতে, যি নাৰী মন, বাক্য আৰু কৰ্ম্ম এই তিনিওৰে সৈতে দুষ্টা হয়, সেই নাৰী হে পাপাচাৰিণী আৰু পতিতা বুলি গণ্য। কিন্তু আমি জানোঁ, তুমি আজীৱন ব্ৰহ্মচাৰিণী, তোমাৰ মন কাচিতো বিচলিত হোৱা আমি দেখা নাই,—তুমি কিয় দোষদুষ্টা হ'বা? তুমি সতী, সাধ্বী, শুদ্ধচৰিত্ৰা আৰু মনস্বিনী, বিশেষ, তুমি নিদ্ৰাত অলস, বিৱশ, সংজ্ঞাশূন্য অৱস্থাত থাকোতে অযাচিতে তোমাৰ ব্ৰত ভঙ্গ হৈছে, এতেকে তোমাৰ ধৰ্ম্মলোপ হোৱা নাই। যি নাৰীৰ পূৰ্ব্বদুষ্ট মনে কৰ্ম্মৰ দ্বাৰাই আত্মদোষ সম্পন্ন কৰে, সেই নাৰী হে ভ্ৰষ্টা হয়, তোমাক সেই দোষে স্পৰ্শ কৰা নাই।

উষা।—সখী। তোমাৰ যুক্তি অৱশ্যে সাৰুৱা। তোমাৰ জ্ঞানগভ উপদেশ নিশ্চয় গ্ৰহণীয়। কিন্তু, হেৰা, তেওঁতো বলেৰে মোৰ ব্ৰত ভঙ্গ কৰাহি নাই, ময়ো তো তেওঁক সংপ্ৰীতিৰে উপভোগ কৰিলোঁ! এনেস্থলত সেই কাৰ্য্য মোৰ ইচ্ছাকৃত নহৈ কেনেকৈ পাৰে? তেওঁ জানিবা যাচ্ঞা কৰিছিলেই, মই গ্ৰহণ কৰিলোঁ কিয়? এতেকে, মই পতিতা নহম কিয়?

চিত্ৰলেখা।—হে মোৰ সৰলা সখী! তুমি আমাৰ কথাত পতিয়ন যোৱা, আমি ভাঠি কওঁ, তুমি কোনো পাকে দুষিতা নোহোৱা। প্ৰজ্ঞা সখীৰ সাৰুৱা যুক্তি অকাট্য বুলি মানিবা।

উষা। কিনো কম, সখী ঐ! মনে যে নামানে।

চিত্ৰলেখা। ভাল, এটা কথা মনত পৰিছে। এইবাৰ তোমাৰ মনে মানিব সখী! মনত নপৰে নে সেই দেৱীদত্ত বৰলাভৰ কথা? তোমাৰ কঠোৰ তপস্যাত তুষ্ট হৈ দেৱী ভগৱতীয়ে বৰদান দিওঁতে তোমাক কি বুলি সমিধান দিছিল, এবাৰ সুমৰি চোৱাঁচোন।

উষা। (ক্ষন্তেক টলকামাৰি বৈ) ওঁ, চাইচোঁ। পিচে?

চিত্ৰলেখা। পিচে, আজি বহাগৰ শুক্লা দ্বাদশী ৰাতি হয় নে নহয়?

উষা। - (অলপ জিকাৰ খাই উঠি) হয়! পিচে?

চিত্ৰলেখা। -দেৱীৰ স্ববচনেৰেই কওঁ, তুমি এই 'হৰ্ম্ম্যোপৰি নিদ্ৰিতা' আছিলা নে নাই?

উষা। আছিলোঁ। (মুখৰ বৰ্ণ সলনি হৈ আহে)

চিত্ৰলেখা।—বাৰু, সমিধানত দেৱীয়ে কোৱা নাই নে যে, সেই ছেগত যি জনে তোমাক ৰুদতী অৱস্থাত স্ত্ৰী ভাৱে উপনতা কৰিব, তেওঁৱেই তোমাৰ স্বামী হ'ব বুলি?

উষা।—ওঁ, কৈছিল। (লাজুকীভাৱে তলমুৰ কৰে)

চিত্ৰলেখা—তেন্তে আৰু তোমাৰ কি মাত আছে?

প্ৰজ্ঞা। - নাই, এইবাৰ আৰু মাতিবলৈ ঠাই নাই। এইবাৰ কিস্তিমাত।

উষা। (লাজুকীয়া মিচিকিয়নিৰে) কিনো মাতিম আৰু।

প্ৰজ্ঞা।—হে চন্দ্ৰমুখী। দেৱীৰ বৰ নফলিয়াই পাৰে নে? তুমি মিছাতে কিয় শোকবিহ্বলা হৈছা? তুমি আপোন-পাহৰা হৈ, ঘটনাৰ আঁতি-গুৰি গমি নোচোৱাকৈ কিয় অধৈৰ্য্যা হৈছা? সামান্যা নাৰীৰ নিচিনাকৈ তুমি অবাবত কিয় বাউলী হৈছা?

উষা। - (প্ৰকৃতিস্থা হৈ) বাৰু, সখী! দেৱীৰ সেই বৰ

অনুসাৰেই যেন মোৰ ভাবী বৰ লাভ হয়। বিগত ঘটনাৰ কথা এটি-এটিকৈ আটাইটি মোৰ স্মৰণত আছিছে। আৰু দেখিছোঁ, তাৰ লক্ষণ এটি-এটিকৈ কাৰ্য্যত ফলিয়াব লাগিছে।

অপৰ সখী।—তেনেহলেচোন সন্তাপৰ কাৰণেই নাই। আমাৰ মনেৰে সেই বাবে সখী কুমাৰীয়ে মনত আনন্দ হে পাব লাগে।

উষা।—সঁচা। পিচে, দেৱীৰ বৰদান সম্পূৰ্ণকৈ ফলিৱা নাই এথোন। মহামায়া দেৱীয়ে যদি মোক সপোনত দিয়া সেই কন্দৰ্পতনু পুৰুষৰতনকে মোৰ সতীত্বৰত্বৰ গৰাকী পাতি পঠিওৱাটো হয়, তেন্তে তেওঁ নো কোন্ মোক অনতিপলমে জানিবলৈ দিয়াঁহঁক।

প্ৰজ্ঞা।—হে সতী! তুমি এই দৰে বিমোহিতা হৈ আমাৰ প্ৰতি অসম্ভৱ অনুৰোধ কিয় কৰিছা? তুমি যিজন নেদেখা-নুশুনা পুৰুষেৰে সপোনত উপনতা হৈছিলা, যি জনে তোমাৰ ব্ৰহ্মচৰ্য্যব্ৰত ভঙ্গ কৰি সতীত্বৰত্ন হৰণ কৰিলে, সেই ৰতিচোৰৰ চিনাকি আমি কেনেকৈ দিম!—

উষা।—(চোৰ বোলা কথাষাৰ সহিবলৈ টান পাই) নহয় সখী! তেওঁ চোৰ নহয়।

চিত্ৰলেখা।- সখীঐ! তুমি দেখোন এতিয়া প্ৰেমভৰত তন্ময় হৈ তেওঁক চোৰ বুলিবই নোখোজা। তেওঁক বলাত্‌কাৰী ডকাইত বুলিবলৈকো টান পাইছা; আৰু তুমি যে তেওঁৰ আলিঙ্গনৰপৰা অব্যাহতি পাবলৈ বুলি ৰোদন কৰি থাকোতেও, তোমাক ৰূদতী অৱস্থাত, চলত পাই বলেৰে উপভোগ কৰিলে, তাকো অস্বীকাৰ কৰিবলৈ আওপকীয়াকৈ উদ্যত হৈছা!—ইমান মোহ!

প্ৰজ্ঞা।—সি যি কি নহওক, যিজনে এই সুৰক্ষিত অন্তঃপুৰলৈ অকলশৰে প্ৰৱেশ কৰি তোমাহেন সাধ্বীৰ সতীত্ব হৰণ কৰিবলৈ-সাহ কৰিলে, তেওঁ কোনোবা প্ৰকৃত মানৱ হয় যদি আমি কেনেকৈ কম! ভীমবিক্ৰমশালী আদিত্য বসু আৰু ৰুদ্ৰগণ, কিম্বা মহাতেজসম্পন্ন অশ্বিনীকুমাৰযুগলেও যি পুৰত প্ৰৱেশ কৰিবলৈ সাহ নকৰে, সেই এই কন্যাপুৰত যিজনে অদৃশ্য আৰু অশ্ৰুতভাৱে প্ৰৱেশ কৰিলেহি, তেওঁ যে সাধাৰণ বীৰ, বা সামান্য নৰ নহয়, তাত সন্দেহ নাই। যি জনে এই কন্যাপুৰৰ অদ্ভুত অগ্নিগড় লঙ্ঘন কৰি অভেদ্য অন্তঃপুৰত সোমাই দুৰ্জ্জয় বলিনন্দন সহস্ৰভুজ বাণ মহাসুৰৰ দৰ্প চূৰ্ণ কৰিলেহি, তেওঁ যে অশ্বিনীকুমাৰদ্বয়তকৈও বিশিষ্ট, তাক আৰু ক'ব লাগিছে নে? সপোনত হলেও, তোমাৰ ভাগ্যেৰে হে তেনেজন পুৰুষ-ৰতনেৰে তুমি সঙ্গতা হৈছিলা!

অপৰ সখী।—সঁচা, যাৰ ভাগ্যত এনেহেন অসামান্য পুৰুষ অযাচিতে স্বামীলাভ হয়, নাৰীৰ মাজত তেওঁ মহা ভাগ্যৱতী। হে কুমাৰী! তুমি যে হৰগৌৰীৰ প্ৰসাদস্বৰূপ সেইহেন কন্দৰ্পতনু পতি লাভ কৰিবলৈ পাইছিলা, সেই বাবে তুমি নিজকে ধন্যা মানিব লগীয়া। পিচে, এতিয়া সেই পুৰুষৰত্নৰ নাম-ধাম-কুলশীলতা আৰু বংশগৌৰৱৰ বিষয়ে জানিব পাৰিলেই হয়।

উষা।—(অধিকতৰ অধীৰা হৈ) সখীহঁত ঐ! তাকে তো কৈছো, বোলোঁ মোৰ সেই প্ৰাণধনৰ পৰিচয় মই কি উপায়ে পাওঁ এতিয়া? সেই পৰিচয় দি মোৰ প্ৰাণ ৰক্ষা কৰিবলৈ উপায় বিধান কৰাহঁক।

প্ৰজ্ঞা—(চিত্ৰলেখালৈ আঙুলিয়াই) সেই জীৱনৰক্ষক কৱচ এওঁ সখীৰ ওচৰত যাজ্ঞা কৰিলে হে যদি লাভ হয়। কিয়নো, বিচিত্ৰা চিত্ৰলেখাৰ অবিদিত একো নাই। পাখিলগা পৰীপ্ৰতিম চিত্ৰলেখাৰ পক্ষে অগম্যপুৰ নাই। তেওঁ অসাধ্যক সাধ্য কৰিব পাৰে। এতেকে, তোমাৰ তেওঁৰ পৰিচয় দানৰ বাব সখী চিত্ৰলেখাৰ গালৈ পাৰ হোৱাই ভাল।

উষা।—(চিত্ৰলেখাৰ প্ৰতি) হে মোৰ প্ৰাণসখী! মোৰ অন্তৰৰ অনুৰোধ তোমাৰ অন্তৰে অৱশ্যে বুজিছে, ভাঙ্গি নকলেও হ'ব। এতিয়া, মোৰ সেই মন্ত-

মাতঙ্গ'বিক্ৰমী কমনীয় কান্তি কন্দৰ্পতনু প্ৰাণাধিক প্ৰাণেশ্বৰৰ প্ৰকৃত পৰিচয় দান কৰি তুমি মোৰ প্ৰাণ ৰক্ষা কৰাঁ।

চিত্ৰলেখা।—হে মহাসতী! মই নো কি উপায় দিবৰ পাত্ৰী? তুমি যিজন অনুপম পুৰুষৰ পৰিচয় দিবলৈ কৈছা, স্বৰূপত মই তেওঁৰ সম্বন্ধে একো নাজানোঁ। তথাপি, মোৰ ক্ষুদ্ৰ মতি অনুসাৰে, তোমাৰ মনোৰথ পূৰ্ণ কৰিবলৈ মই মনে মনে উপায় চিন্তা কৰিবই লাগিছোঁ।

উষা।—সখী ঐ! কোৱাঁ ভাঙ্গি, কি উপায় চিন্তিছা তুমি। নকৰা পলম। পলম আৰু এই প্ৰাণত সহ্য নহয়!

প্ৰজ্ঞা।—পলম আমাৰো সহ্য হোৱা নাই। সখী চিত্ৰলেখাই তেওঁৰ চিন্তাৰ কথা অনতিপলমে ভাঙ্গি কলে আমিও নিশ্চিন্তা হ'ব পাৰোঁইক।

চিত্ৰলেখা।—(উষাৰ গাত ধৰি) নহ'বাঁ অধীৰা সখী। অধৈৰ্য্যাই শুভফল নিলগাই হে নিয়ে। মোৰ উপায়-চিন্তাৰ কথা ভাঙ্গি কওঁ, শুনাঁ:- মই ইয়াকে পাঙ্গিছোঁ, দেৱ, দানৱ, যক্ষ, উৰগ, ৰাক্ষসগণৰ মাজত যি সকল প্ৰভাবস্বৰূপ আৰু অভিজাত্য গুণত বিশিষ্ট; মানৱৰ মাজতো যি সকল কুল-শীল-মান-মৰ্য্যাদা আৰু ৰূপ-গুণ-গৌৰৱত প্ৰখ্যাত, সেইসকল স্বৰূপ অনুকৃতি, মোৰ সাধ্যানুসাৰে চিত্ৰপটত চিত্ৰিত কৰি আনি তোমাৰ আগত দাঙ্গি ধৰিমহি, তাৰপৰা, পোৱাঁ যদি, পটস্থ তোমাৰ প্ৰাণপতিক তুমি নিজে বাছি উলিয়াবাঁ। ইয়াত বাজে মোৰ আৰু আন উপায় নাই। আজিৰপৰা সাত দিনৰ ভিতৰত এই কাৰ্য্য সমাধা কৰি পট প্ৰদৰ্শনলৈ প্ৰতিশ্ৰুতি দিছোঁ। সম্প্ৰতি ইমানতে আশ্বাস মানি তুমি স্থিৰ থাকিবাঁ। নিজৰ মনক নিজে বুজাই নাৰাখিলে আনৰ বুজনিয়ে বলে নোৱাৰে। আজিলৈ ইমানতে এৰোঁইক।—সোৱা চোৱাঁ, (বাহিৰলৈ আঙুলিয়াই) তোমাৰ স্বনাম্নী উষাদেৱীয়ে শুভযাত্ৰাৰ পোহৰ বিতৰণ কৰিছে! আহাঁইক, আমিও এই ছেগতে বাহিৰলৈ ওলাই উষা-যাত্ৰা কৰি থওঁ।

(সকলোটিৰ প্ৰস্থান)

পঞ্চম গৰ্ভাঙ্ক

ভৈৰৱী কুণ্ড

(বাণৰজা অকলশৰে)

বাণ হায়! নিমিলিল আজিও মোৰ বাঞ্ছিত মহাৰণ! মিলিব কেতিয়া, তাৰো কোনো সন্তেদ নাপাওঁ! মিলিব যে ধ্ৰুৱপ, তাকো নিশ্চয়কৈ ক'ব নোৱাৰোঁ! হৰদত্ত বৰলাভ অনুসৰি, সেই আগন্তুক মহাৰণৰ সঙ্কেত মাথোন পোৱা গ'ল, কিন্তু অদ্যাপি সি কাৰ্য্যত পৰিণত নহ'ল। আজিকোপতি সেই কল্পিত যুদ্ধৰ প্ৰত্যক্ষ আগন্তুক দেখা নগ'ল। আজিও মোৰ ৰণতৃষ্ণা মৃগতৃষ্ণিকাৰ গৰ্ভতে ৰ'ল। (চিন্তাযুক্ত)

(হতাশাত উন্মত্ত হৈ) নাই, মোৰ ৰণ-কামনা পূৰ্ণ হোৱাৰ সম্ভাৱনা নাই! মোৰ অন্তৰৰ অনিবাৰ্য্য ৰণলীপ্সা নিৰ্ব্বাপিত হোৱাৰ আগন্তুক নাই। মোৰ সৰ্ব্বাঙ্গশোষী ৰণতৃষ্ণা পৰিতৃপ্ত হোৱাৰ আৰু আশা নাই! দেৱতাৰ বৰদান দ্ব্যৰ্থবোধক বুলি মোৰ বিজ্ঞ মন্ত্ৰীয়ে মোক স্বৰূপ বোধ দিছিল। দেৱদত্ত বৰলাভ সততে হেতুমূলক হোৱাৰো সেয়ে অৰ্থ। মোৰ আৰু বুজিবলৈ বাকী নাই। মই দেৱতাৰ অভেদ্য প্ৰতাৰণাত পৰি, ভণ্ড-তপসীৰ ভাও দিব লগাত পৰিলোঁ।—কিন্তু, কি আশ্চৰ্য্য, মোৰ চিৰ-আৰাধ্য চিৰ-পূজিত ইষ্টদেৱতা হৰ-মহেশ্বৰেও মোক প্ৰতাৰণা কৰে! কৰোক তেওঁ যি কৰে, নাভাবোঁ সেই বিষয়ে আৰু। নকৰোঁ বিশ্বাস আৰু দেৱতাৰ অলীক আশ্বাসত। নকৰোঁ প্ৰতীক্ষা আৰু হৰদত্ত কল্পিত ৰণ। মই স্বয়ং মোৰ মনোমত ৰণ আহ্বান কৰি লম। সেই অৰ্থে মই অচিৰে দিগ্বিজয়লৈ যাত্ৰা

কৰিম। তাত হে মোৰ গৌৰৱ। তাত হে মোৰ যথাৰ্থ যশস্যা। তাত হে মোৰ প্ৰকৃত পুৰুষালি। আক্ৰমণত হে বিক্ৰম, বিক্ৰমত হে বীৰত্ব, আৰু বীৰত্বত হে মহত্ত্ব প্ৰকাশ পায়। আক্ৰমণত প্ৰতি-বন্ধক জন্মোৱাটো আত্মৰক্ষাৰ প্ৰক্ৰিয়া মাত্ৰ; তাক যেয়ে-সেয়ে অৱলম্বন কৰে। তাত প্ৰকৃত বিক্ৰম নাই, আচল বীৰত্ব নাই, যথাৰ্থ মহত্ত্ব নাই। তেনেকুৱা কাপুৰুষৰ মহতালি বাণে বাঞ্ছা নকৰে! তেনে আত্মৰক্ষাৰ ব্যৱস্থাত ধৰিবলৈ বাণে বাহু নোতোলে, তেনে আক্ৰমণত প্ৰতিবন্ধক জন্মোৱা ৰণক বাণে ৰণ নোবোলে! বাণে বিচাৰে আক্ৰমণ-কাৰী হ'বলৈ; আক্ৰান্ত হ'বলৈ-বাণে নিবিচাৰে। বাণৰ বীৰত্ব শত্ৰু নাশি খেদি যোৱাত, বাণৰ মহত্ত্ব দুৰ্গ ভাঙ্গি প্ৰৱেশ কৰাত; বাণে ৰণত পিঠি নেদেখুৱায়, বাণে আৰু গড় মাৰি আত্মৰক্ষা নকৰে। মই যদি বলিনন্দন বাণ হওঁ, তেন্তে তেনে কাপুৰুৰ দুৰ্ব্বল চিন্তাই মোৰ মনত ঠাই পাব নোৱাৰে। মই যদি স্বৰূপতে সহস্ৰভুজ নামৰ যোগ্য হওঁ, তেনেহলে দেৱতাৰ অনুগ্ৰহৰ ওপৰত নিভৰ কৰি নিশ্চেষ্ট হৈ বহি থকা মোৰ পক্ষে বিবেচিত কাৰ্য্য নহ'ব। মই আত্মনিভৰ গুণৰ বলেৰে তুৰন্তে ৰণ-যাত্ৰালৈ আয়োজন কৰিম, মই আত্মবাহুবলেৰে স্বয়ং ৰণ-অন্বেষণ কৰি লম। কাৰো আশ্বাসত আৰু মই বিশ্বাস নকৰোঁ। কাৰো পৰামৰ্শলৈ আৰু মই কাণ নাপাতোঁ। ই ধ্ৰুৰূপ। ইয়াৰ অন্যথা নহ'ব। (হুঙ্কাৰ ছাৰি) পূৱৰ সূৰুয যদি পছিমে উদয় হয়, মোৰ এই সংকল্পৰ ব্যতিক্ৰম নহয়। (ফোঁপাবলৈ ধৰে)

(উগ্ৰমূৰ্ত্তি ধৰি) উহুঃ! মই এতিয়াও মোত্ আছো। এতিয়াও মোৰ স্বৰূপ চৰিত্ৰ বিচলিত হোৱা নাই। মোৰ মন-প্ৰাণ এতিয়াও ৰণমদত উন্মত্ত! এতিয়াও মোৰ সিৰে-সিৰে বীৰতেজ বব লাগিছে। মোৰ নামত আজিও ত্ৰিভুৱন কম্পমান্! মোৰ আগত আজিও দেৱতাগণ ত্ৰস্তমান্! এনেস্থলত মই নিশ্চেষ্ট হম? এনে ক্ষণত মোৰ অপ্ৰতিহত জ্বলন্ত উত্তম নিস্তেজ হ'বলৈ দিম?--কেতিয়াও নহওঁ; কচিতো নিদিওঁ। অৱশ্যে, দেৱতাৰ আশ্বাসত বিশ্বাস কৰি বহি থকাটো, মোৰ পক্ষে কাপুৰুষৰ কাম হৈছে। পুৰুষৰ পুৰুষাৰ্থ নকৰি, দেৱতাৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰাটো মানৱৰ অযোগ্য কৰ্ম্ম; তাত নিশ্চয় মনুষ্যত্ব নাই। মই তেনে অমানুষিকতাৰ পৰিচয় দিয়াতকৈ মোৰ মৰণেই শ্ৰেয়ঃ! হৰদত্ত বৰলাভ কেতিয়াকৈ কাৰ্য্যত ফলিয়াব, তাৰ নিশ্চয়তা নাই। তাৰ অৰ্থে ক্ষণ গণি কালহৰণ কৰা আৰু বিধেয় বোধ নকৰোঁ। মোৰ প্ৰবাহিত ইচ্ছাৰ গতিৰোধ কৰি ৰখা আৰু উচিত বোধ নকৰোঁ। সেই ইচ্ছাৰ সোঁত অস্বাভাবিক ভাৱে ভেটা দি ধৰিলে, সি মোৰ দৈহিক ক্ষেত্ৰত পাৰ ভাঙ্গি আত্মৰাজ্য প্লাবিত কৰিব! তাৰ পৰিণামত নিজ কৰ্ম্মক্ষেত্ৰত নিজে ধনবিপ্লৱ ঘটোৱা হ'ব, নিজ অস্ত্ৰেৰে নিজক নিপাত কৰাৰ তুল্য হ'ব। (চিন্তাযুত)

আন হাতে, হ'ব পাৰে ই মোৰ পক্ষে অগ্নি-পৰীক্ষা। মোৰ বাহুবল আৰু মনোবলৰ মাজত সামঞ্জস্য কিমান, তাৰ পৰীক্ষাৰ্থে হ'ব পাৰে ই এক দৈৱিক প্ৰক্ৰিয়া। নহলে, আজি মোৰ এনে বিষম সমস্যা ঘটিব কিয়? অহঃ! এহাতে, মোৰ সহস্ৰভুজবল পৰিমিত বীৰতেজ প্ৰতিসিৰে বব লাগিছে, আনহাতে দেৱতাৰ স্বাৰ্থবোধক আশ্বাসত বিশ্বাস মানি ৰোৱাৰ বাবে মোৰ প্ৰবাহিত মনো-বলৰ সোঁত অযাচিতে থমকা খাই ৰৈছে! এনেভাৱে কালযাপন কৰা মোৰ পক্ষে আৰু অসম্ভৱ হৈ উঠিছে। মোৰ মানত আজি এদিনে এযুগ যেন লাগিছে' মোৰ মনে আৰু প্ৰবোধ নমনা হৈ উদ্বাউল দি উঠিছে! মই আৰু বুদ্ধি-পৰামৰ্শলৈ অপেক্ষা কৰিব নোৱাৰোঁ। দৈৱিক ছেগ আৰু মই প্ৰতীক্ষা নকৰোঁ। যাওঁ, আৰু পলম কৰাৰ প্ৰয়োজন নাই, অনতিপলমে দিগ্বি-

জয়লৈ যাত্ৰা কৰোঁগৈ।—মোৰ মনোমত ৰণ মই অন্বেষণ কৰি লওঁগৈ।

(উত্তৰাৱল হৈ সবেগে প্ৰস্থান)

ষষ্ঠ গৰ্ভাঙ্ক

উষা-অন্তঃপুৰ,—বুলনি

(প্ৰজ্ঞা প্ৰমুখো সখীসৱপৰিবৃতা উষাদেৱী)

(সখীসৱে নাচি-নাচি নাম গায)

নাম

চোতাল-আগতে কাউৰীজনীয়ে
কৰচি কৰচি কয।
কাৰে নো বাতৰি কোনোবা ফালৰে
শুভ কি অশুভ অই॥
কুলাৰে আগতে চাউল এমুঠি
দিলোঁ ভাগে-ভাগেকই।
মঙ্গলী পখীৰে ঠোঁতে বাছি ললে
মঙ্গল ভাগকে অই॥
চিন্তা নকৰিবাঁ, —পূৰিব কামনা,—
বাণৰে জীযাৰী হই।
শুভৰে' চিনাকি পালোঁ মঙ্গলত
নহবাঁ বিততা অই॥

(নাচনীইঁত নাচি নাচি অন্তৰ্হিত)

উষা।—(প্ৰজ্ঞাৰ ভিঙ্গিত ধৰি) সখী ঐ! কিনো কম! নামানে বুজনি মনে। নাপাওঁ একোতে শান্তি' মাথোঁ, সখী চিত্ৰলেখা কেতিয়া পাযহি তাৰে হে ক্ষণ গণিব লাগিছোঁ।

প্ৰজ্ঞা।—সখী! আজি সেই সাদিনৰ শেহদিন। সখী চিত্ৰলেখা অৱশ্যে ওলাবহি। ওলায়হি হে লাগে। আৰু ক্ষন্তেকমান ধৈৰ্য্য ধৰাঁ।

উষা।—সখীঐ! এদিনে এযুগ যেন লাগিছে মনত। মুহূৰ্ত্ত নাযায়-নুপুৰায়। পলম নসহে প্ৰাণে।

প্ৰজ্ঞা।—সঁচা, চাপেমানে কাষ, লাগি যায দুবৈ দূৰৈ। তথাপি,—(চিত্ৰলেখাৰ প্ৰৱেশ) এ হে! নাম লওঁতেই ওলালেহি চিত্ৰলেখা। বহুদিন জীবাঁ সখী, তুমি।

উষা। (আবেগ সহকাৰে) আনিছাঁ নে সখী! আনিছা নে চিত্ৰপট ?

চিত্ৰলেখা। আনিছোঁ সখী! এইখন চিত্ৰপট (মেলি দেখুৱায়)। সাধ্যমানে আঁকিছোঁ সখী, সাদিন-সাতৰাতি সুমাৰি সুমৰি,–দেৱ, দানৱ, কিন্নৰ, উৰগ, যক্ষ, ৰাক্ষস, গন্ধৰ্ব্ব, অসুৰ, দৈত্য, মানৱ— সবাৰে মাজৰ বাছি বাছি ৰূপ-গুণ-শীল-কুল মৰ্যাদাবিশিষ্ট বাছকবনীয়া পুৰুষসকলৰ প্ৰতিকৃতি কেইটামানক আঁকি আনিছোঁ। এতিয়া লোৱাঁ, এই চিত্ৰপটত চাই চাই পোৱাঁ যদি, তোমাৰ ৰতিচোৰ প্ৰাণপ্ৰিয়তক বাছি লোৱাঁ।

উষা।—(অতিশয় ব্যগ্ৰতাৰে সৈতে চাই চাই) ক'তা সখী, নাইচোন! এই চিত্ৰপটত মোৰ চিত্তপটৰ প্ৰাণধনক নাপাওঁচোন বিচাৰি!

চিত্ৰলেখা। চাই যোৱাঁ। সাবলৈ আৰু বহু বাকী ৰৈছে। অধীৰা নহ'বা, সখী। মন পাৰি চাই গৈ থাকাঁ।

উষা।—(আকৌ একান্তমনেৰে চাই চাই) নাই সখী! নাই মোৰ সেই সপোনৰ ধন।

চিত্ৰলেখা।—চাই গৈ থাকাঁ। অন্ত পৰা নাই এথোন। এতিয়াও বাকী।

উষা।– (পুনৰপি একাগ্ৰপতীযাকৈ চাই গৈ গৈ, ঠমক্‌খাই ৰৈ, আচৰিতভাবে) এওঁ কোন, কোৱাঁ সখী! কোন এওঁ মহাপুৰুষ ?

চিত্ৰলেখা।- (সভক্তিৰে) এওঁৱেই দ্বাৰকেশ্বৰ ৰুক্মিণীনাথ দৈবকীনন্দন বাসুদেৱ ভগবান শ্ৰীকৃষ্ণ।

উষা। -(শ্ৰীকৃষ্ণচিত্ৰ শিৰত তুলি লৈ, আকৌবাৰ আশান্বিত অন্তৰে চাই গৈ গৈ চক্‌ খাই উঠি) এওঁ বা কোন্ পুৰুষোত্তম ? ভগবান শ্ৰীকৃষ্ণ-অনুৰূপৰ সমকক্ষ যেন দেখা যায়।

চিত্ৰলেখা।—এওঁ শ্ৰীকৃষ্ণতনয় ৰুক্মিণীনন্দন প্ৰদ্যুম্ন কোঁৱৰ। এওঁৰ অপৰ নাম কামদেৱ।

উষা।—(উলাহত উগুলথুগুলভাৱে চাই গৈ থাকোঁতে চমক্‌খাই উঠি) সখী! সখী! এয়া, এয়া, এয়া পালোঁ; পালোঁ মোৰ সপোনৰ ধন! এওঁৱেই মোৰ সেই সতীত্বগ্ৰাহী স্বামী-দেৱতা। (চিত্ৰপটে সৈতে ছবিটি বুকুত সাবটি ধৰি) কোন এওঁ? কিবা নাম? কাৰ পুত্ৰ? কোন কুলৰ তিলক? কোন্ বংশৰ গৌৰৱ? কোৱাঁ, সখী, ভাঙ্গি সবিশেষ; কোৱাঁ অনতিপলমে।

চিত্ৰলেখা।—এওঁ যদুকুলতিলক বৃষ্ণিবংশাৱতংস দৈৱকী-নন্দন বাসুদেৱ শ্ৰীকৃষ্ণ আৰু কামৰূপৰ বিদৰ্ভাপতি ভীষ্মক ৰজাৰ জীয়াৰী ৰুক্মিণীদেৱীৰ জ্যেষ্ঠপুত্ৰ প্ৰদ্যুম্ন কোঁৱৰৰ সুযোগ্য তনয় শ্ৰীমান্ অনিৰুদ্ধ কুমাৰ। ৰূপ-গুণ-গৌৰৱ, কুল-শীল-মান আৰু বুদ্ধি-বল-কৌশলত এওঁৰ সমান ত্ৰিভুৱনত নাই।

উষা।—(হৰ্ষবিহ্বলা হৈ) সখিঐ! জঁয় পৰা লতাত জীপ্ দিলাঁ তুমি! এতিয়া ৰাখাঁ তাৰ প্ৰাণ। দিয়াঁ আনি তৰু তাৰ, বগাওক সি মেৰাই মেৰাই! সখী, তুমিয়েই হে এই দাম্পত্য বন্ধনৰ মূলসূত্ৰ হ'লাঁ। যাতে এই পতিহীনাৰ গতি হয়, তাৰ যুগুত উপায় বিধান কৰাঁ সখী! তুমি আকাশী দূতী; তুমি যোগিনী, মায়াবিনী আৰু উপায়-কৌশলকুশলা অদ্বিতীয়া বুদ্ধিমতী নাৰী। এই কাৰ্য্য তোমাৰ সাধ্যাতীত নহয়। হে মোৰ প্ৰাণসখী! তুমি মোৰ প্ৰাণপতিক আনি মিলাই দি এই দহিত দেহা ৰক্ষা কৰাঁ। নতু, তোমাৰ সাক্ষাতে মই এই প্ৰাণহীন অসাৰ তনু ত্যাগ কৰিম। চাই থাকাঁ তুমি।

চিত্ৰলেখা।—হে দেৱী! হে কল্যাণী! তুমি গুণৱতী আৰু জ্ঞানৱতী নাৰী। অবুজ নহ'বাঁ। তোমাৰ এই অনুৰোধ ৰক্ষা কৰা মোৰ পক্ষে অসাধ্য, অপৰলৈকো দুঃসাধ্য। কিয়নো, বাণনগৰী যিৰূপ সুৰক্ষিত, দ্বাৰকানগৰীও তদ্ৰূপ সুৰক্ষিত। এই কন্যাপুৰ প্ৰৱেশ যিৰূপ অসাধ্য, দ্বাৰকাৰ দ্বাৰাৱতী প্ৰৱেশো তদ্ৰূপ অসাধ্য। এই নগৰী যিৰূপে অগ্নিগড়েৰে ৰক্ষিত, সেই নগৰীও সেইৰূপে সাগৰেৰে সুৰক্ষিত। ইয়াত কন্যাপুৰলৈ যেনে, তাত সেই কুমাৰপুৰলৈ প্ৰৱেশৰো তেনে গুপ্তদ্বাৰ আছে। এই কন্যাপুৰৰ অগ্নিগড়ৰ কোঁঠত যিভাৱে দানৱেশ্বৰ বাণৰাজৰ কিঙ্কৰ সেনানীগণ ৰক্ষক হৈছে, কুমাৰপুৰৰ সাগৰ-যমুনাকূলত সেইভাৱে যাদৱেশ্বৰ শ্ৰীকৃষ্ণৰ বৃষ্ণিকুমাৰ সেনাগণ ৰক্ষক আছে। সেই কুমাৰপুৰ অতি দুৰ্ভেদ্য। সেই পুৰত ভেদ কৰি কুমাৰক হৰণ কৰে, এনে কাৰ সাধ্য!

উষা।—(হতাশাত বাউলী হৈ) সখীঐ! এই অবুজন মনে আজি একোকে নুবুজে, একোকে নামানে! বুজে আৰু মানে মাথোন মোৰ প্ৰাণেশ্বৰ কুমাৰক। বুজনিৰ প্ৰয়োজন নাই সখী! তুমি যোগিনী আৰু মায়াবিনী, তোমাৰ যোগবল আৰু মায়া-বলেৰে সেই অসাধ্য প্ৰৱেশ সুসাধ্য কৰি লোৱাঁগৈ। কিনো কম অন্তৰৰ কথা! মই আৰু মোত্ নাই! মোৰ মন-প্ৰাণ গৈ সেই অদৃশ্য অশ্ৰুত বৃষ্ণিকুমাৰত প্ৰবিষ্ট। যদি হে মোৰ সেই কন্দৰ্পতনু কুমাৰক আনি দিবহি নোৱাৰাঁ, তেন্তে অনতিপলমে মোৰ জীৱন-সামৰণ দেখিবাঁ। ইমানতে সবিশেষ বুজিবাঁ। তুমি নিজে বুদ্ধিমতী; তোমাক নো কি বুদ্ধি দিম! বিশেষণত সবিশেষ বুজিবাঁ। আৰু বুজিবাঁ, জীৱনৰ সন্দেহ হ'লে কুলো ক্ষয়প্ৰাপ্ত হয়; কিয়নো, মদনপীড়িতা কুলমৰ্য্যাদাৰ প্ৰতিও সময়ত অন্ধ হয়। গতিকে, মোৰ মৰণেই শ্ৰেয়ঃ।

চিত্ৰলেখা।—(বিমোৰ হৈ) কি কৰোঁ!

উষা।—অসাধ্যক সাধ্য কৰিবাঁ। তোমাৰ বুদ্ধিৰ অগোচৰ নাই; তোমাৰ কৌশলে ধৰিব নোৱাৰা একো নাই সখী!

চিত্ৰলেখা।—সখী! মোৰ বিষম সমস্যা! মোৰ দুই নাৱত দুইভৰি! এহাতে অনিৰুদ্ধ আনয়ন অসাধ্য সাধনা; আনহাতে, তোমাৰ অমিয়া অনুৰোধ লঙ্ঘন কৰা সাধ্যাতীত কাম! ইকাতি হ'লেও বুৰোঁ, সিকাতি হ'লেও উৰোঁ! মৰণলৈ মই নডৰোঁ, সাধনা সিদ্ধ

হয় যদি। হয়-নহয় সি অজ্ঞাত ভবিষ্যতৰ গৰ্ভত। আগধৰি সেই ফলাফল জানিবৰ উপায় নাই। অথচ, নানামিলে পানী কিমান দ, তাকো বুজা নাযায়! সাঁতুৰি সাগৰ পাৰ হ'ব পাৰোঁ-নোৱাৰোঁ নামি চাবলগীয়া হ'ল। সিপাৰ হৈ ল'ব পাৰিলে অৱশ্যে ইপাৰলৈ উলটিবলৈ দুঃসাধ্য নহ'ব। এতেকে, যি কৰে ঈশ্বৰে, গুলালোঁ দ্বাৰকালৈ। আশীৰ্ব্বাদ কৰিবাইক, যেন অভেদ্য দ্বাৰাৱতী ভেদ কৰি কৃষ্ণনাতি অনিৰুদ্ধ কুমাৰক হৰণ কৰি আনি, বলিনাতিনী উষা কুমাৰীৰে সৈতে মিলন ঘটাবহি পাৰোঁ।—আহোঁ, বিদায় হে এতিয়া।

(চিত্ৰলেখাৰ প্ৰস্থান)

প্ৰজ্ঞা।—স্থিৰ হোৱাঁ এতিয়া সখী! আমিও এফেৰি নিশ্চিন্ত হলোঁ।

উষা।—পাৰ্য্যমানে ৰম স্থিৰে, সখী চিত্ৰলেখা ঘূৰি আহেমানে।

অপৰ সখী।—বেচ্ কথা। উঠাইক, ফুৰি আহোঁ ফুলনি মেৰাই।

(সকলোটিৰ প্ৰস্থান)

দ্বিতীয় অঙ্কপাত

তৃতীয় অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

দ্বাৰাৱতী,—অনিৰুদ্ধ কুমাৰৰ শয়নকক্ষ

(সোণালী পালেঙ্গত পৰি কুমাৰ টোপনিত লালকাল)

অনিৰুদ্ধ।—(সপোনৰ উদ্বেগত চাঁত্কৰে সাৰ পাই উঠি) ইকি! ইকি অভাবনীয় সম্ভোগ! কোন্ তেওঁ মোৰে সৈতে সঙ্গতা হৈছিলহি? তেওঁ দেৱী নে মানবী? গন্ধৰ্ব্ব নে কিন্নৰী? দানবী নে যাদৱী? যেয়ে হওক তেওঁ,—তেওঁ মোৰ প্ৰেমৰ পুতলী! তেওঁ মোৰ প্ৰাণৰ ঈশ্বৰী। নতু, তেওঁ কোন্?—ডাকিনী নে যোগিনী? নাই, কামৰূপীয়া মায়াবিনী? যেয়ে কি নহওক তেওঁ,—তেওঁ মোৰ প্ৰেমচুকণী, তেওঁ মোৰ হৃদয়-ৰাজ্যৰ অধিশ্বৰী। অহ! মই যেন মোত্ আৰু নাই!—মই আছোঁ ক'ত? কিবা ৰূপে? কিবা হৈ?—য'তে আছিলোঁ, ত'তে আছোঁ মই; কিন্তু তেওঁ ক'ত? তেওঁক নেদেখোঁ যে এতিয়া! তেওঁ গ'ল কলৈ? মোৰ প্ৰাণ লৈ তেওঁ পলাল কেনি?—ই দিঠকৰ দৃশ্য নহয় নে কি? ই সপোনৰ মায়া নে কি?—সপোন যদি, মই সেই অতৃপ্ত সম্ভোগৰ ৰমণীয় অনুভৱত নিৰ্লিপ্ত হ'ব পৰা নাই কিয়? মই তেওঁৰ কমনীয় কান্তি বিস্মৃত হ'ব পৰা নাই কিয়?—হঁয়। বিস্মৃত হম কিমতে, তেওঁ যে মোৰ সমস্তকে হৰি নিলে। এতিয়া তেওঁৱেই মই, মযেই তেওঁ; তেওঁক সুমৰিমেই বা কি?—অহ! কিনো ভুৱনমোহিনী ৰূপ! এনে ৰূপত মোহ নাযাব কোন্? কিনো অনুপম প্ৰেম! এনে প্ৰেমত নপমিব কোন্? কিনো নিৰুপমা কান্তি!—এনে কান্তিত নমজিব কোন্? (ক্ষন্তেক টলকা মাৰি ৰৈ) সপোন হলেও, সেই ৰূপৱতী যুৱতীৰ অস্তিত্ব অলীক হব নোৱাৰে। সপোনৰ চিত্ৰ দিঠকৰ দৃশ্যৰ প্ৰতিৰূপ মাথোন। সততে, মানুহে দিঠকত যি ভাবে, সপোনত তাৰে অভিনয় দেখে। দিঠকৰ অতৃপ্ত বাসনা অতিপাত হলে, সপোনত তাৰ পৰিতৃপ্তি লাভ হয়? তেন্তে মোৰ তেওঁৱো অলীক হ'ব নোৱাৰে। হলে, তেওঁ মায়াবিনী হ'ব পাৰে; কিন্তু কাল্পনিক হ'ব নোৱাৰে। তেনেহলেও নো বাৰু তেওঁ কোন্?—তেওঁ কোন্ অঞ্চলৰ মায়াবিনী? মোৰ হৃদয় তেওঁ কেনেকৈ হৰিবলৈ পালেহি? মইতো কাচিতো তেওঁক দিঠকত দেখা নাই, তেওঁক ভাবিমেই বা কেনেকৈ? দিঠকত তেওঁৰ প্ৰতি আসক্তি জন্মিবলৈকো তেওঁ তো মোৰ মনশ্ৰুতিতো নাছিল? তেন্তে নো সেই তৃপ্তি, এই অতৃপ্তি, সেই অনুপম সম্ভোগ সপোনত কেনেকৈ ফলিয়াবলৈ

পালে ?—ই কি অদ্ভুত কাণ্ড ! --অসত্য সত্য হয়, অসম্ভৱ সম্ভৱ হয় ! ই মাথোন মায়াকাননত হে সম্ভৱ, অন্যত্র অসম্ভৱ। মৰ্ত্ত্যত সম্ভৱ হলে হ'ব পাৰে, একমাত্র মায়াপুৰ কামৰূপত। কামৰূপ হেনো মায়াবিনী মানবীৰ বিহাৰভূমি। সেই অঞ্চলৰ মায়াবিনী নাৰীয়ে বোলে অদৃশ্যভাৱে ত্রিভুৱন ভ্ৰমিব পাৰে। হ'ব পাৰে, সেই মায়াপুৰৰে কোনোবা মায়াবিনী সুন্দৰীয়ে কে'নবাকৈ মোহ-পৰৱশ হৈ মোক ভজিলেহি। তেওঁ এই মাজ-নিশা মোৰ শয়নকক্ষত মায়া কৌশলেৰে প্ৰৱেশ কৰি মোৰে সৈতে সঙ্গতা হৈছিলহি। মোৰ বিৱশ অৱস্থাত, মোৰ মন-প্ৰাণ হৰি লৈ, মোক এইদৰে বিকল কৰি গ'লহি। (শোকাকুল হৈ উচুপিবলৈ ধৰে)।

(ধীৰে ধীৰে চিত্ৰলেখাৰ প্ৰৱেশ)

চিত্ৰলেখা।—(উষাদেৱীৰ অনুকৃতি চিত্ৰ এটি কুমাৰৰ ফালে সম্মুখ কৰাই নিজৰ বুকুৰ ওপৰত দাঙ্গি ধৰি নীৰৱে থিয় দি থাকে)

কুমাৰ।—(হঠাৎ উত্ৰাৱল হৈ ছবিৰ কাষলৈ চোচা মাৰি গৈ) এহে ! এইটি ! এইটিচোন মোৰ সেই মনমোহিনী চিত্ৰ ! ক'ৰপৰা আহিছিলা ? কেনি গুচি গৈছিলা ? আকৌ কেনি ঘূৰি আহিলা ? মোৰ প্ৰাণ লৈ কলৈ পলাইছিলা ? (চিত্ৰলেখাৰ বুকুৰপৰা ছবিটি টানমাৰি নি নিজৰ বুকুত আল্-ফুল্কৈ সাবটি ধৰি) পালোঁ নহয় এতিয়া ? নেৰোঁ নহয় আৰু ? কেনেকৈ পলাবা আকৌ ? মোৰ চিত্ত হৰণ কৰিছিলা নহয় ? এতিয়া, এতিয়া তোমাৰ চিত্ত হৰণ কৰোঁ।

চিত্ৰলেখা।--(তলমূৰকৈ) চিত্ৰই চিত্ত হৰণ কৰে, কিন্তু চিত্ত দান নকৰে, চিত্ৰই কথা শুনে কিন্তু কথা নকয়।

কুমাৰ।—(অলপ প্ৰকৃতিস্থ হৈ) হয়। ই চিত্ৰ হে, স্বৰূপ নহয় ! যি হওক, কোন্ সিটি চিত্ৰলেখা ? কোনে চিত্ৰিলে এনে হুবহুকৈ মোৰ সেই মনোহাৰিণী ৰতিচুৰুণীক ? অহ ! ক'তো অকণি ভাঁজ নাই, স্বৰূপ চিত্ৰ। (সংজ্ঞালাভ কৰি চিত্ৰলেখালৈ চাই) কোন তুমি ? কি নাম তোমাৰ ?

চিত্ৰলেখা।—ময়ে সেই চিত্ৰলেখা। নাম মোৰ চিত্ৰলেখা।

কুমাৰ।—কাৰ দূতী তুমি ? কোন্ অঞ্চলৰ নাৰীৰত্ন তুমি ? কিৰূপে চিনিলা মোৰ সেই প্ৰেমৰ পুতলিক ?—নিচিনিলে চিত্ৰিবা কি মতে ? কোৱা, কোৱা হেৰা, দিয়া জ্ঞান, ৰাখা প্ৰাণ, কোন্ তুমি, কোন্ সিটি, ক'ত দেখা তোমাস'তে ?

চিত্ৰলেখা।—কামৰূপৰ নাৰী মই। বাণ ৰজাৰ ৰাজ্যত জন্ম মোৰ। দানৱৰাজ বাণ ৰজাৰ জীয়াৰী উষাদেৱীৰ সহচৰী সখী মই। সেই নিৰুপমা ৰূপহী সখীৰে চিত্ৰ এইটি।

কুমাৰ।—(অধিকতৰ অধৈৰ্য্য হৈ) কিবা কোৱাঁ ! তোমাৰে সখীয়া সেই মোৰ হৃদয় ঈশ্বৰী ? জানা তেন্তে সবিশেষ তুমি সেই সখীয়াৰ কথা ? কোৱাঁ ভাঙ্গি আদ্যোপান্ত সখা বুলি জ্ঞান কৰি মোক। কামৰূপবাসিনী তুমি। তুমি অৱশ্যে মায়াবিনী। নোসোধোঁ এতেকে, কিৰূপে জানিলা তুমি দুৰ্দ্দশাৰ কথা মোৰ। বুজিছোঁ, কি মতে আহিলা তুমি অতিক্ৰমি অতনা দূৰণি পথ।

চিত্ৰলেখা।—হে কুমাৰ ! ধৈৰ্য্য ধৰা। অধৈৰ্য্যৰ সময় নহয় এই বেলা। স্থিৰমনে শুনিবা, কওঁ আদ্যোপান্ত কথা।—তোমাৰ কি দুৰ্দ্দশা, নাজানোঁ। হ'ব পাৰে, তোমাকো সেই একেচাবৰ অদ্ভুত্ সপোনৰ খেলাই উন্মাদপ্ৰায় কৰিছে। কিন্তু, সখী মোৰ তোমাতকৈও উন্মাদিনী। এই বহাগৰ দ্বাদশী নিশা সপোনৰ আৱেশে সম্ভোগ্ কৰিছিলা তুমি গৈ সখীক মোৰ। তুমি ৰতিচোৰ হৈ মোৰ সখীৰ ব্ৰহ্মচৰ্য্যব্ৰত ভঙ্গ কৰিলাগৈ। তুমি তেওঁৰ দেৱীদুৰ্ল্লভ সতীত্বহৰণ কৰিলাগৈ। সেই অৱধি সখী মোৰ উন্মাদিনী তোমাৰ কাৰণে। তেওঁৰ আদেশ-অনুৰোধ অনুসৰি-য়েই মই এইখিনি পাইছোঁহি তোমাক লৈ যাবলৈ

বুলি। যাবাঁ যদি সাজু হোৱাঁ। পলমে বিঘিনি ঘটাব। এই ৰাতিয়েই নগলে, আৰু তোমাৰ যোৱা নহ'ব। এতেকতে যি ভাল দেখা, তাকে কৰা। মই মাথোন এই ৰাতিটোলৈ হে ইয়াত আছোঁ; ৰাতি নৌ পুৱাওঁতেই উষা-পোহৰতে উলটি কন্যাপুৰলৈ প্ৰস্থান কৰিম।

কুমাৰ।—(অতি আতুৰভাৱে) হাঁয়! নাযাম নে মই! কিনো কোৱাঁ সখী! পিচে, কি মতে পাৰ হম অত দূৰৈ বাট? তুমি বা আহিলাঁ কিৰূপে? নিয়াঁ তেন্তে মোকো তোমাৰে আঁচল ধৰাই।

চিত্ৰলেখা।—নাই মোৰ স্বকীয়া বাহন। মই পাখিলগা পৰীৰ বিদ্যাবলত এই দুখন পাখিৰে সৈতে উৰি আহি এইখিনি পাইছোঁহি। এই ক্ষীণ পাখিয়ে দুজনাৰ ভাৰ সহিব জানো? তাতে তুমি হ'বা গধুৰ পুৰুষৰ ভৰ। পৰা হলে পিঠিত তুলি লৈ গলোঁহেঁতেন।

কুমাৰ।—(অলপ ভাবি চাই) বাৰু, পাইছোঁ মযো তাৰ উপায়। নালাগে সহিব মোৰ ভৰ তোমাৰ মহিলা পাখিয়ে। আছে মোৰ বলৱন্ত পুৰুষ পাখি। গৰুড়-বাহনত চৰি মই তোমাৰ পিচ ধৰিম। লৈ যাবাঁ তুমি মোক যলৈকে নিয়াঁ। চিন্তা নাই সেই বাবে।

চিত্ৰলেখা।—সুন্দৰ ব্যৱস্থা। সষ্টম হোৱা, নকৰ্বা পলম। নিশা আৰু অলপহে আছেগৈ। পুৱা হলেই সকলো ভ্ৰষ্ট হ'ব!

কুমাৰ।—নকৰোঁ পলম। আহাঁ যাওঁ, যাওঁগৈ। বাহন মোৰ সততে সষ্টম থাকে। সঙ্কেতমাত্ৰকে চাপেঁহি কাষ।

চিত্ৰলেখা।—ৰবা, আৰু এটি কথা। তোমাৰ পিতামহ ৰুক্মিণীনাথ ভগবান শ্ৰীকৃষ্ণৰ শয়নকক্ষত মই এটা ভুমুকি মাৰি যাব খোজোঁ। সেই কক্ষৰ দেৱালত এটি চিত্ৰ আঁকি থৈ যোৱাৰ প্ৰয়োজন।

কুমাৰ।—কিনো চিত্ৰ? থাকিব নে তাত মোৰ নিৰুপমা প্ৰিয়তমাৰ চিত্ৰ?

চিত্ৰলেখা।—ওঁ, থাকিব। আৰু থাকিব কামৰূপৰ বাণৰাজাৰ গতি-বিধিৰ সাঙ্কেতিক মানচিত্ৰ।

কুমাৰ।--(উলাহিত হৈ) আহাঁ তেন্তে, আঁকা আহি, পাৰাঁমানে, কক্ষে-কক্ষে, দেৱালে-দুৱাৰে, সৰ্ব্বত্ৰতে মোৰ প্ৰিয়তমাৰ চিত্ৰেৰে কৰাঁহি চিত্ৰিত, বিচিত্ৰা চিত্ৰলেখা হেৰা।

(দুইৰো প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

দৃশ্য,—কন্যাপুৰ, দক্ষিণ প্ৰান্তৰ নতুন গড়

(জ্বৰ আৰু ৰৌদ্ৰ সেনাপতিৰে সৈতে বাণ ৰজাৰ অগ্নিগড় পৰিদৰ্শন)

জ্বৰ। অহ, কি যে বিতোপন গড়।

ৰৌদ্ৰ।—পৃথিৱীত অদ্বিতীয় এনে আচৰিত গড়।

বাণ। কিবা গুণ বখানিছা দুয়ে এই সুৰম্য গড়ৰ?

জ্বৰ।--হে ৰাজন! সৰ্ব্বগুণ নিহিত আছে এই অদ্ভুত গড়ত। বাস্তৱতে, ইয়াক পৃথিৱীত অদ্বিতীয় আৰু অতুলন বুলিব পাৰি।

বাণ।—ভাঙ্গি কোৱাঁ, কি গুণত ই পৃথিৱীত অতুলন। এই গড়ৰ গঠনকালত মই স্বয়ং উপস্থিত হ'বহি পৰা নাছিলোঁ। ইয়াৰ ৰচনাৰ আভাস মাথোন মন্ত্ৰীৰ মুখে শুনিছিলোঁ।

ৰৌদ্ৰ।—হে দানৱেশ্বৰ! এই গড়ৰ অভ্যন্তৰ ৰচনা প্ৰকৃততে এটা অদ্ভুত কাণ্ড! ইযাৰ বাহ্যিক কাৰুকাৰ্য্য যেনে বিচিত্ৰ দেখা গৈছে, আভ্যন্তৰিক কাৰ্য্য-কৌশল তাতকৈ সহস্ৰগুণে বিচিত্ৰ! সংক্ষেপে ক'বলৈ গলে, ই এটা প্ৰাকৃতিক আৰ্হিৰে মানৱিক আগ্নেয়গিৰিৰ অপূৰ্ব্ব সৃষ্টি।

বাণ। সি কিৰূপ? তাৰ উদ্দেশ্যই বা কি? কাৰ কল্পনাপ্ৰসূত ই গড়? কাৰ সি আদেশ?

জ্বৰ।—হে প্ৰভো! উদ্দেশ্য আপোনাৰ নিজ আদেশমূলক। এই কন্যাপুৰলৈ যাতে শত্ৰুপক্ষীয় কোনো জন-প্ৰাণীৰ প্ৰৱেশ সম্ভৱপৰ হ'ব নোৱাৰে, সেই উদ্দেশ্যে এই নগৰৰক্ষক গড়ৰ গৰ্ত্তত সুকৌশলেৰে বিবিধ

আগ্নেয় পদাৰ্থ প্ৰোথিত ৰৈছে। কোনো শত্ৰুপক্ষে নগৰ আক্ৰমণ কৰাৰ আগন্তুক দেখা গলে, নিমিষতে সমস্ত গড় প্ৰজ্বলিত কৰিব পৰাকৈ আভ্যন্তৰীণ কৌশল খটোৱা গৈছে।

বাণ।—নগৰ আক্ৰমণ! মোৰ নগৰ? সাধ্য কাৰ সাহে মোৰ নগৰ আক্ৰমিবলৈ? অহঃ! তেনে আক্ৰমোতাৰ অভাব হেতুকেই তো মোৰ মনত শান্তি নোহোৱা হৈছে। ৰণতৃষ্ণাত জৰ্জ্জৰিত হৈ আজি কতদিন সুযোগ্য শত্ৰুপক্ষক ৰণলৈ মনু-প্ৰাণে আহ্বান কৰিব লাগিছোঁ, তথাপি মোৰ মনোৰথ পূৰ্ণ হোৱা নাই, আজিও মোৰ সেই বাঞ্ছিত ৰণলাভ নহ'ল! এনেস্থলত; এই গড় বান্ধি শত্ৰুক বাধা দি ৰখাটো মোৰ ইচ্ছাবিৰোধী কাৰ্য্য হৈছে।

জৰ।—হে বীৰবাহো! আপোনাৰ ৰণতৃষ্ণাৰ বিষয় আমাৰ অবিদিত নহয়। অদ্যাপি সেই বাঞ্ছিত ৰণ নিমিলাত আমিও দুখিত, আমিও অশান্তিত দিন নিয়াব লগাত পৰিছোঁ। আপোনাৰ সহস্ৰভুজ পৰিমিত বলবীৰ্য্যৰ সমকক্ষ বিক্ৰমী ভাবী শত্ৰুৰ আগমন প্ৰতীক্ষাত আমাৰো প্ৰাণত তৰণি নাই!

বাণ।—তেন্তে শত্ৰুনিবাৰক এই গড় নিৰ্ম্মাণৰ প্ৰয়োজন কি? ইয়াক অনতিপলমে চূৰ্ণীকৃত কৰিবলৈ মোৰ আদেশ ঘোষণা কৰিব লাগে।

ৰৌদ্ৰ। মহাৰাজৰ আদেশ শিৰোধাৰ্য্য। কিন্তু গড়ৰ প্ৰয়োজন সমূলি যে নাই, এনেও নহয়। ই শত্ৰুৰ বিক্ৰম পৰীক্ষক গড়। যি মহা পৰাক্ৰান্ত বীৰ শত্ৰুৱে এইহেন গড় লঙ্ঘি আহি আপোনাৰ এই সুৰক্ষিত কন্যাপুৰত প্ৰবেশ কৰিবহি, তেওঁৱেই আপোনাৰ সমকক্ষ মনোমত বীৰ যোদ্ধা বুলি আমি সহজে বুজিব পাৰিমহঁক। গতিকে, এই গড়ৰ সৃষ্টি আৰু স্থিতি আমি অপৰিহাৰ্য্য বুলিহে ভাবোঁ। অৱশ্যে, মহাৰাজৰ ইচ্ছাৰ সোঁতত আমাৰ মন্তব্য উটি যাবও পাৰে।

বাণ।—সঁচা, সেনাপতি! স্বৰূপ ধৰিছা তুমি। প্ৰবল শত্ৰুৰ পৰাক্ৰম বুজিবলৈ আমাক এই গড় লাগিব। সময়ত ইয়াৰ উত্তম প্ৰয়োজন হ'ব। ভাবী শত্ৰুৰ বিক্ৰম অনুযায়ীকৈ সজ্জিত হ'বলৈ তোমালোকে ইয়াৰপৰা এটা সু-ছেগ পাবাঁহঁক। গতিকে, ইয়াক ৰাখিবহে লাগে। মোৰ মনেৰে, আভ্যন্তৰীণ কৌশল নিয়োজনলৈ চাই ইয়াৰ যথাযোগ্য নাম 'অগ্নিগড' হোৱা উচিত।

জৰ।—হওক মহাৰাজ! সেয়ে হওক। মহাৰাজৰ এই অৰ্থমূলক নামকৰণ অনুসৰি, আজিৰপৰা এই ৰাজগড 'অগ্নিগড়' নামে অভিহিত হ'ব।

ৰৌদ্ৰ।—বাস্তৱতে, অতি বিতোপন নামকৰণ। গড়ৰ কাম চাই নাম হৈছে; ৰজিতা খাই পৰিছে। যাৰ নগৰ এনে অদ্ভুত অগ্নিগড়ৰ দ্বাৰাই সুৰক্ষিত, তেওঁ যে এজন মহা বীৰ্য্যবান পৰাক্ৰমী অসম ৰজা, জগতত সিয়েই তাৰ সাক্ষ্য দিব। এই অগ্নিগড়ৰ নাম অচিৰে পৃথিৱীৰ সৰ্ব্বত্ৰে প্ৰচাৰিত হোৱা একান্ত বাঞ্ছনীয়।

বাণ।—তাৰ লগে-লগে মোৰ সমকক্ষ পৰাক্ৰমী যোদ্ধাও আহূত হ'ব লাগে। অগ্নিগড় নাম প্ৰচাৰিত হোৱাৰ আলমতে, মোৰ এই পণ ঘোষণা কৰা হওক যে, যেয়ে মোৰ এই অদ্ভুত অগ্নিগড় লঙ্ঘন কৰি মোৰ এই সুৰক্ষিত কন্যাপুৰত উপনীত হ'বহি পাৰিব, তেওঁক মোৰ সমকক্ষ সুযোগ্য যোদ্ধা বুলি মই গ্ৰহণ কৰিম; আৰু, যদিস্যাৎ কোনো অভাবনীয় পাকচক্ৰত পৰি, যুদ্ধত মোৰ পৰাজয় ঘটে, তেন্তে মোৰ সৰ্ব্বাঙ্গসুন্দৰী নিৰুপমা কন্যা উষাদেৱী সমন্বিতে এই কন্যাপুৰ তেওঁকে সাদৰে সমৰ্পণ কৰিম। এয়ে মোৰ পণ। এই পণ-ঘোষণা সুবিস্তৃতভাৱে পৃথিৱীৰ সদৌৰাজ্যত ৰাষ্ট্ৰ হ'ব লাগে।

জৰ।—হ'ব ৰাষ্ট্ৰ। মহাৰাজৰ আজ্ঞা শিৰোধাৰ্য্য।

বাণ।—আহাহঁক, ঘাইনগৰলৈ ওলটোঁ এতিয়া; আগন্তুক যুদ্ধ-আহ্বান বিষয়ে মন্ত্ৰীৰে সৈতে পৰ্য্যালোচনাত ধৰোঁগৈ।

(তিনিওৰো প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

দৃশ্য,—উষাৰ শয়নকক্ষ

উষা।—হায়! সুপূৰিল আশা মোৰ! এই বেলা সখী চিত্ৰলেখা উলটি আহি পোৱাৰ কথা আছিল। পিচে, এই ৰাতি-দুপৰলৈকে বাট চালোঁ; ক'তা? —নাই, ঘুলটিল, নাপালেহি! কি কৰোঁ! প্ৰাণ মোৰ অসহনীয় লাগিছে। মাথোঁ সখী প্ৰজ্ঞাৰ আশ্বাসত বিশ্বাস কৰি প্ৰাণ ধৰি আছোঁ। কিন্তু, আৰু যে সহ্য নহয়; কি কৰোঁ এতিয়া?—কলৈ যাওঁ? ক'ত শান্তি পাওঁ? এই আসন্ন ক্ষণত কোনে ত্ৰাণ কৰেহি মোক এতিয়া?—বাৰু, আছোঁ, থাকোঁ, বাট চাওঁ ৰাতিপুৱালৈকে। যি কৰে ঈশ্বৰে! (মৌন)

(নাম গাই গাই দুফালৰপৰা দুজনী লিগিৰীৰ প্ৰৱেশ)

নাম

নাকান্দাঁ নাকান্দাঁ, বাণৰে জীয়াৰী
মনলৈ নানিবাঁ দুখ।
পালাঁ বৰদান, গুচিলে জঞ্জাল,
দেখিবাঁ স্বামীৰে মুখ॥
চিলাত কৈ বাতৰি দিলাঁ হে আইদেউ,
কোৱাত কৈ বাতৰি দিলাঁ।
মাৰাঁৰ ঘৰতে কিনো দুখে পালাঁ,
কুমাৰক বাতৰি দিলাঁ॥
মাৰাঁৰ ঘৰতে আছিলাঁ আইদেউ
ছাঁ চাই মেলায়ে চুলি।
যিখনে ঘৰতে পৰিবাঁ আইদেউ,
ঢেঁকিয়ে কৰিব বুটি॥
শুনোতে শুনিলোঁ, কুমাৰ বৰেলোক
ধনৰে লেখে-জোখে নাই।
আইদেউক দিবলৈ অলঙ্কাৰ নাপায়ে
সিদ্ধি দিবলৈ যায়॥
সিদ্ধিৰে মুখতে পাই গিৰিহঁতে
চকুত জলকীয়া দিলে।
লগৰ লগৰীয়ে দেখিব নোৱাৰি
পুৰৈপাত মোহাৰি থলে॥
কৃষ্ণৰে বাৰতে আঁকে চিত্ৰলেখা
উষা-অনিৰুধ সাজি।
আকাশৰ পাততে লেখিয়ে পঠাইছে,
কুমাৰ আহিব আজি॥

(লিগিৰীদ্বয়ৰ দুইৰো দুফালে প্ৰস্থান)

উষা।—(নাম শুনি শুনি বিৱশ হৈ পৰি) কি মোৰ কপাল! আটায়ে খেঁজেলিয়ায় মোক!

(কুমাৰক পাকতে আঁৰলত থৈ, লাহেকৈ চিত্ৰলেখাৰ প্ৰৱেশ)

চিত্ৰলেখা।—(হাঁহি হাঁহি) সখী! অকলেচোন? গুণিছা কি?

উষা।—(হৰ্ষবিস্ময়বিহ্বলা হৈ) এ হে! সখী চিত্ৰলেখা! ভাবি থাকোতেই ওলালাহি! বহুত দিন জীৱাঁ তুমি!—ধন্য তুমি! ধন্য তোমাৰ প্ৰতিশ্ৰুতি! ধন্য তোমাৰ সময় নিৰূপণ!

চিত্ৰলেখা।—(হাঁহি হাঁহি) ধন্যবাদ পুৰাপুৰিকৈ নাপাওঁ হ'বলা মই? কিয়নো, সাঁজতে পাবহি লাগিছিল; নোৱাৰিলোঁ, বাটৰ বতাহ অনুকূল নাছিল।

(সঙ্কেতেৰে কুমাৰক কাষলৈ মাতি আনি নিমাত)

উষা।—(চকিতা হৰিণীৰ চকুৰে কুমাৰলৈ চাই) সখী! সখী! এওঁ, এওঁ কোন্? কোন্ এওঁ?

(লাজত তলমূৰ কৰে)

চিত্ৰলেখা।—(খেঁজেলিয়নী হাঁহি মাৰি) 'এওঁ কোন্?' —কোন নো হ'ব এওঁ? এওঁৱেই তোমাৰ সেই তেওঁ। চিনি লোৱাঁ, হয় নে নহয়।

উষা।—(আঁচলেৰে মুখ ঢাকি ঠাইতে চিত্ৰলেখাৰ আঁৰ লৈ) সখী! সখী! সখী!

চিত্ৰলেখা।—(গাৰ আঁৰ আঁতৰাই) কিহৰ সখী সখী কৰিছা হে? এই সখী এতিয়া আৰু আশ্ৰয়স্থান নহয়; তোমাৰ আচল প্ৰাণসখিত আশ্ৰয় লোৱাঁ।

আমাক ইমানতে অব্যাহতি দিয়ঁা। মোৰ প্ৰতিশ্ৰুতি মই পালন কৰিলোঁ, আৰু মোক কিয় লাগিছে ?

উষা।—(স্থিৰগম্ভীৰ স্বৰে) ধন্য তোমাৰ নাম! ধন্য তোমাৰ কাম! সখী, কি দিম প্ৰতিদান! জগতত নাই সমতুল তাৰ; এই প্ৰাণ বিনিময়ত বাজে, নাপাওঁ বিচাৰি একো।

চিত্ৰলেখা।—(চুপতিৰ হাঁহি মাৰি) নহওঁ আমি তোমাৰ প্ৰাণৰ গৰাকী। যাৰ প্ৰাণ, দিয়ঁা তেওঁক সঁপি।

উষা।—(সঙ্কেতত জ্ঞান পাই কুমাৰৰ চৰণত পৰি আঁঠু লৈ) প্ৰাণৰ গৰাকী মোৰ, হে প্ৰাণেশ্বৰ!

কুমাৰ।—(প্ৰেমবিহ্বল হৈ আথেবেথে দাঙ্গি ধৰি) উঠঁা, উঠঁা প্ৰাণেশ্বৰী! প্ৰাণৰ গৰাকিনী মোৰ।

(প্ৰেমালিঙ্গনত উষা-অনিৰুদ্ধ বিভোল! সেই ছেগতে চিত্ৰলেখা চাঁত্‌কৰে আঁতৰ হয়)

কুমাৰ।—প্ৰাণেশ্বৰী!

উষা।—প্ৰাণেশ্বৰ!

কুমাৰ।—তুমিয়েই সেই মোৰ প্ৰেমচুৰুণী,- নহয় নে ?

উষা।—আপুনিয়েই মোৰ সেই ৰতিচোৰ,—নহয় নে ?

কুমাৰ।—প্ৰিয়া! মই তোমাৰ ৰতিচোৰ হ'বলৈ অহা মনত নাহেচোন? কিন্তু তুমি প্ৰেমচুৰুণী হৈ যোৱাটো হলে ভালকৈ মনত আছে।

উষা।—নাথ! মই প্ৰেমচুৰুণী হৈ যোৱাচোন মোৰ মনত নপৰে, আপুনি ৰতিচোৰ হৈ অহাটো হলে বেচকৈ মনত পৰে।

কুমাৰ।—বাৰু, কোন্ আগ ?—কোৱঁা।

উষা।—আপুনি।

কুমাৰ।—নহয়, তুমিহে।

উষা।—নহয়, আপুনিহে।

কুমাৰ।—পিচে, ইয়াৰ সিদ্ধান্ত দিয়ে কোনে এতিয়া ?

উষা।—সখীয়ে।

কুমাৰ।—সখীয়াই নো দিব কেনেকৈ সঠিক-সিদ্ধান্ত ?

উষা।—সেই ৰাতি মই সখীপৰিবৃতা হৈ আছিলোঁ। মোৰ বিলাই সখীহঁতে স্ব-চকুৰে দেখিছিল। সখী প্ৰজ্ঞা আৰু সখী চিত্ৰলেখাৰ আগত মোৰ সেই ব্ৰতনাশী বিমোহন সপোনৰ কথা সকলো বিবৰি কৈছিলোঁ।

কুমাৰ।—(হাঁহি হাঁহি) বাৰু, তোমাৰ জানিবা গা বল, তোমাৰ সখীয়া সাক্ষী ওলাব। মোৰ গা বয় কেনেকৈ পিচে? মই যে ইয়াত অকলশৰীয়া!—

উষা।—(প্ৰেমগদ্‌গদ্ হৈ কুমাৰক সাবটি ধৰি) নহয় অকলশৰীয়া প্ৰাণনাথ! নোহোৱাঁ অকল, আছোঁ-মানে লগৰী এই ছাঁয়া।

(প্ৰজ্ঞা প্ৰমুখ্যে সখীসৰে সৈতে চিত্ৰলেখাৰ পুন প্ৰৱেশ)

প্ৰজ্ঞা।—(হাঁহি হাঁহি) প্ৰেমত বিঘিনি হলোঁ, আহি আমি জানো? ক্ষেমিবাঁ আমাৰ দায়, প্ৰেমিক-প্ৰেমিকা।

উষা।—(মুখত আঁচলৰ সোপা লৈ লাজত তলমূৰ)

কুমাৰ।—(মিচিকি মিচিকি হাঁহি লাজত তলমূৰ)

চিত্ৰলেখা।—নহম বিঘিনি বহুপৰ। ধৰ্ম্মানুমত গান্ধৰ্ব বিবাহৰ দাম্পত্য সূত্ৰেৰে দুইকো সংলগ্ন কৰি দি যাব পাৰিলেই আমাৰ কৰ্ত্তব্য সমাধা হ'ব। তাৰ পাচত, নৱদম্পতীয়ে প্ৰেম-বিনিময়লৈ এদনীয়া ছেগ পাবাঁহক।

প্ৰজ্ঞা।—হেৰা, প্ৰেমিক-প্ৰেমিকাযুগল! বিধিৰত বিবাহৰ পূৰ্ব্বে তোমাদ্বয়ৰ মিলন অবৈধ। গতিকে, প্ৰেম-বিনিময়লৈ সময় দীঘলাই দিব নোৱাৰি আৰু। (সখীসৱৰ প্ৰতি) সখীহঁত! আহাঁহক, ইবিলাকক বেদীলৈ নি গান্ধৰ্ব্ব-বিবাহৰ শুভকাৰ্য্য শীঘ্ৰে সম্পাদন কৰি দিওঁগৈ।

অপৰ সখী।—ৰবাঁ, আমাৰ পালি আছেই এখোন।

অন্যতম সখী।—(কুমাৰৰ প্ৰতি) অ, এওঁৱেই নে কি দৰা ?

অন্যতম অপৰ সখী।—এ, নাক নহয়চোন থঁৰা ?

অন্যতম সখী।—আইঐ দেহি! ভালেটিহে লাগিছে নাকত লাজ!

অপৰ সখী।—ছিঃ, নাহিল ডাবকটাৰিখন লগত; কৰি দিলোঁহেঁতেন নাক কাটি লাজৰ বাজ!

অন্যতম অপৰ সখী।—(কুমাৰৰ বাউসীত ধৰি জোকাৰি) বোলোঁ, তুমিয়েই নে কি আমাৰ সখীৰ ৰতিচোৰ!

অপৰ সখী।—নামাতেচোন! মাতিব নোৱাৰে হ'বলা? আঁকৰা নে কি? অ, বোবা হ'ব পায় দেহি!

অন্যতম সখী।—(কুমাৰৰ থুঁতৰিত ধৰি জোকাৰি) আইঐ দেহি! সঁচা, বোবা হ'ব পায়! নহলে, কথাৰ উত্তৰ নিদিব কিয়?

অপৰ সখী। এৰা, অঙ্গিভঙ্গী দেখুৱাই চিয়াৰেবে হে সুধিব লগা হ'ল। (হাতৰ অঙ্গিভঙ্গীৰে কথা সুধি একো একোবাৰ ঘুঁকোটিয়াই পেপুৱা লগায়)

উষা।—(হৰ্ষবিহ্বলা হৈ খিল্‌খিলাই হাঁহি সখীহঁতৰ গাত আঁৰ লয়)

কুমাৰ। (সেমেনাসেমেনিকৈ) ওঁহুঁ, নহওঁ মই বোবা।

অন্যতম সখী। অ, নহয় বোলে বোবা! -বেবাব পাৰে! টেঁটাইছে, শুনাইক (আটাইবিলাকে গিৰ্জ্জনি মাৰি হাঁহে)।

অপৰ সখী।—বাৰু, বেবোৱাঁচোন তেন্তে, নোহোৱাঁ নে তুমিয়েই সেই ৰতিচোৰ? (কুমাৰৰ হাতত ধৰি ভাবি দি) ঠিক ক'বা। নহলে এৰণ নাই।

অন্যতম সখী।—(এহাতে কুমাৰৰ নাকত আৰু ইহাতে কাণত ধৰি জোকাৰি) নহলে এতিয়াই নাক-কাণ কাটি ঘুচা কৰি দিম!

কুমাৰ।—(পেপুৱা লাগি) ওঁহুঁ। জানো? মনত নপৰে। কি চুৰ কৰিছিলোঁ?

অন্যতম সখী। (কুমাৰক এৰি উষাৰ প্ৰতি) কি বোলোঁ সখী। নহয় নে এওঁৰেই তেওঁ, তোমাৰ ৰতিচোৰ?

উষা।—(মুখত আঁচলৰ সোপা লৈ চিত্ৰলেখাৰ গা আঁৰত মিচিক্‌মিচিক্‌কৈ হাঁহে)

অপৰ সখী।—(কুমাৰৰ প্ৰতি) বাৰু, তেতিয়া নহলেও এতিয়া তো চোৰ সোমাইছাহি? পৰিলাঁ নহয় ধৰা?—কি দিবাঁ এতিয়া?

প্ৰজ্ঞা।—বাৰু, যি দিব লাগে, সময়ত দিব। মই সেই বাবে গা হৈছোঁ। এতিয়া গান্ধৰ্ব্ব বিয়া দি দুইৰো সম্বন্ধ বিধিৰত কৰোঁগৈ আহাঁইক।

অন্যতম সখী।—(কুমাৰৰ নাকৰ আগটি মলি) মই এই তিলফুল যেন নাকৰ আগটি কাটি মোৰ নাকত লগাই লৈময়ো ধুনীয়াজনী হম!

অপৰ সখী।—(কুমাৰৰ কাণৰ লতিত ধৰি) মই হলে কন্দৰ্পতনুৰ লতি দুটিহে ছিঙ্গি আনি লগাই লম। মোৰ ৰতি-কেকজোৰ পিন্ধিবলৈ ভাল হ'ব।

অন্যতম সখী।—(কুমাৰৰ গল্ধনত পৰা কেঁকুৰিচুলি একুঁচিত ধৰি জোকাৰি) অ, নহয় নহয়; মই এই এওঁৰ কেঁকোৰা চুলিকোঁচা হে কাটি লম। চুলিজৰী বাটি লৈ খোপাত মাৰিম (চিপে চিপে চুলি টানে)

কুমাৰ।—উঃ! উঃ! নাছুৰিবা। দুখ পাওঁ নহয়!

অপৰ সখী।—(খলখলাই হাঁহি) অস্! অস্! দুখ পায় হেনো! বীৰপুৰুষজনে দুখ পায় বোলে ঐ!

সকলোটি।—(সখীগণে গিৰ্জ্জনি মাৰি হাঁহে, উষাদেৱীয়ে আজলিৰে চকু-মুখ ঢাকি হাঁহি হাঁহি সখীহঁতৰ গাত ঢলি ঢলি পৰে)

প্ৰজ্ঞা।—হৈছে আৰু। জুৰিছে ইমানেই। কৈছোঁ নহয়, বোলোঁ, তোমালোকৰ দাবী-দাওৱা যি হয় পাচে-পৰেও কৰিবাইক, এতিয়া শুভকাৰ্য্যকেৰা সমাধা কৰি দিওঁগৈ, বলাঁইক।

চিত্ৰলেখা।—কুমাৰ-কুমাৰীৰ দাম্পত্য সম্বন্ধ বিধিৰত নোহোৱালৈকে সখীহঁতৰ একো দাবী নাখাটেচোন?

অপৰ সখী।—বাৰু, আমাৰ ভিতৰুৱা বিচাৰখন থাওক এথোন পৰি। বলাঁইক। আগ কাম আগ হওক। আমাৰ দাবী নেহেৰায়।

(সকলোটিৰ প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

দৃশ্য—অগ্নিগড়, চোৰাংচোৰা কোঁঠ

(চোৰাংচোৰা দুজন আৰু জৰ সেনাপতি)

১ম চোৰাংচোৰা।—নোৱাৰোঁ ক'ব, দোঁতা কেতিয়া নো সোমালহি। জানো ক'ৰপৰা সোমালহি!

অৰ সেনাপতি।—কেনেকৈ কবিহঁক! শুই থকা প্ৰহৰীয়ে ক'ত কি হয় কেনেকৈ ক'ব! টোপনিত চকু মুদি থকা মানুহে দিঠকৰ ঘটনা কেনেকৈ দেখিবিহঁক!

২য় চোঃ চোঃ।—হে দৌতা! কিয়নো এনেকৈ কয়! লৰালুৰিৰ মূৰ খাবলৈকে, আমি কাহানিও শুই থকাহি নাই। ৰাতিৰে ৰাতিটো উজাগৰে চোৰাং চাই থাকোঁহঁক।

১ম চোঃ চোঃ।—লগৰীয়াই স্বৰূপ কৈছে, দৌতা-ঈশ্বৰ! লাগে যতে ধৰিবলৈ কয়, আমি ততে ধৰিব পাৰোঁ; মহাভৈৰৱ দ'লত, নাইবা মহাভৈৰৱী থানত দেহ-নাম ভগন হ'বলৈ বুলি আমি শপত খাবগৈ পাৰোঁ।

সেনাপতি।—থ' এতিয়া তহঁতৰ বেক্‌বেকনিখন। তহঁতৰ নিচিনা এশটা কুকুৰধুলি জীৱ ভগন হলেও ৰাজকাৰ্য্যৰ ক্ষতি চুলি এডালমান পূৰণ নহয়। ক' এতিয়া, চোৰটো কেতিয়াৰপৰা দেখিছিলিহঁক?

২য় চোঃ চোঃ।—দেখিবৰ আজি সাদিন মানহে হৈছে। সৰহদিন হোৱা নাই দৌতা!

সেনাপতি।—কটা-বন্দি! সাত দিন হৈ গ'ল, আকৌ বোলে সৰহ দিন হোৱা নাই! তহঁতে নাজান নে এনেবোৰ দুৰ্ঘটনা দেখামাত্ৰকে ৰজাঘৰত জনাবগৈ লাগে বুলি? তহঁতে ততালিকে মোক নজনালিগৈ কিয়?

২য় চোৰাংচোৱা।—হে দৌতা-ঈশ্বৰ! সেইটো হলে বন্দীহঁতৰ অপৰাধ হ'ব পাৰে। আমি আকৌ ভালকবুলিহে কেপৰমান পলম কৰিছিলোঁ, বোলোঁ, সেইটি নো ক'ৰ ডেকা, কেনেকৈ নো সোমালহি, আইদেউৰ টোলত সোমাই তেওঁ নো কৰে কি, খায় ক'ত, থাকে ক'ত, এইবোৰৰ আলেখলেখ বুজি লৈ দৌতাক একেবেলিয়ে ভাঙ্গি-পাতি জনামগৈ বুলি ভাবিছিলোঁহঁক। পিচে—

সেনাপতি।—(গোৰোহণি মাৰি) কটা-বন্দি!—কে'পৰমান হে হ'লগৈ নে এতিয়া? এতিয়াই এটাই নকৈছিলি সাদিনমান হল বুলি?

১ম চোঃ চোঃ।—(আছাৰ খাই আঁতৰি, আকৌ চাপি কাওবাওকৈ) হে ঈশ্বৰ! আপুনি খং কৰা দেখি হে সময় অলপমান বঢ়াই কৈছিলোঁ। সিটোৱে সাদিন বুলি খং খোৱা দেখি মই বন্দীয়ে সাত পৰ বুলিছিলোঁ।

সেনাপতি।—কটাহঁত, জাতমূৰ্খ! যি হওক, বাক্ বলহঁক, ৰজাৰ আগত ভাঙ্গি ক'ব নোৱাৰিলে তহঁতৰ ফালে পতং আজি।

২য় চোঃ চোঃ।—মাৰেও মাৰক, কাটেও কাটক, যি কৰে দৌতা-ঈশ্বৰেই কৰক; ৰজাৰ কোষলৈ কেলেই নো নিব লাগিছে!

সেনাপতি।—মোৰ সাধ্য কি, এনেহেন গৰ্হিত কাণ্ড গোপনে ৰাখিবলৈ। তহঁতক থিয় কৰাই দিমগৈ ৰজাৰ আগত, যি পাৰ কৈ-মেলি গা সৰুৱাবলৈ চাবিহঁক।

দুয়োটা চোঃ চোঃ।—(সেনাপতিৰ ভৰিত পৰি) উপায় দিয়ক দৌতা-ঈশ্বৰ! নহলে, নিগমে মৰিলোঁ।

সেনাপতি।—মই কি উপায় দিম? ক'ৰপৰা আহিল ক'ব নোৱাৰিলেও, কেনি সোমালহি ক'ব নোৱাৰিলে কিন্তু তহঁতৰ ৰক্ষা নাই। গমি চাবিহঁক, সম্ভৱতঃ কেনি সোমালহি।

১ম চোঃ চোঃ।—জানো বালক কেনি সোমালহি। আকাশৰপৰাই পৰিলহি নে পতাল ফাটিয়েই ওলাল, কবৈ নোৱাৰিছোঁ, দৌতা-ঈশ্বৰ! আমি বিস্ময় মানিছোঁ।

২য় চোঃ চোঃ।—ককাইটি হেৰেই! মোৰ মনেৰে হলে আকাশেদি হে আহিল। সেই যে হাতী-যেন চৰাইটো আইদেউৰ টোলত চৰি ফুৰে, জানোবা তাতে চৰি আহিছিল?

সেনাপতি।—কি, কি, কি? কি হাতীযেন চৰাইৰ কথা কৈছ? কি চৰাই সেইটো নো?

২য় চোঃ চোঃ।—জানো, কি চৰাই। তেনেকুৱা চৰাই আমি জনমতো দেখা নাই। চৰাইটো মানুহটোমান ওখ। ডোকা দুটা দুখন ডলাযেন। ঠেং

দুটা দু-চোখৰ জলুকাৰ গুৰি যেন। আৰু, ঠোঁটটো দৌতা, বামুণনকা।

সেনাপতি।—(মনতে ক্ষন্তেক গুণি) ধৰিছে মোৰ মনে। হ'ব পাৰে সি গৰুড় পক্ষী,—যাদৱ বাহন। বাৰু, কচোন ডেকাটো কেনে দেখিলিহঁক ?

১ম চোঃ চোঃ।—অঃ! কি নো কম দৌতা! বৰ ৰূপহ ডেকা। চাই থাকিলে ভোক-পিয়াহ হৰে! মুনিহ মানুহৰো মোহ লাগে। আইদেউনো মোহ নাযাব কিয় ?

২য় চোঃ চোঃ।—দেহিঐ, কিনো চাৰ্বা একা ডেকাটি! চাই, চাই, চাই থাকিবৰ হে মন যায়।

সেনাপতি।—চৰাইটো বাহিৰলৈ নোলায় নে? মোক নিলগৰপৰা দেখুৱাব পাৰিবি নে ?

১ম চোঃ চোঃ।—উঁঃ, নোলায় দৌতা। ওলাব নিদিয়ে হবলা। টোলৰ ভিতৰতে সুমুৱাই থয়। আৰু দেখিলেই ভয় লাগে। আমি আঁতৰৰপৰা হে চাওঁ।

২য় চোঃ চোঃ।—কিন্তু, দৌতা, আইদেউৰ কোষত হলে চৰাইটো বৰ জাতি। আইদেউৰ হাততে কিবা-কিবি খায় সি। আইদেৱে বৰ মৰম কৰে। দৌতাই চোৰাংকোঁঠৰ মুধত চৰি ভুমুকিয়াই চালে দেখিব।

সেনাপতি।—বাৰু, দেখিম। মোৰ মনে ধৰিছে তেওঁ কোন্। বাহনে চৰোঁতাৰ চিনাকি দিছে। তেওঁ নিশ্চয় কোনোবা এজন যাদৱকোঁৱৰ। বাৰু, ইমানেই হ'ব। ইমানকে ৰজাৰ আগত ভাঙ্গি কৰিগৈ। এতিয়া আহহঁক, যাহি যাই নগৰলৈ।

১ম চোঃ চোঃ।—ৰক্ষা কৰক দৌতা-ঈশ্বৰ! দৌতায়ে বতৰা পঠিয়াওক, যি হয়। আমি কিবা কঁওতে কিবা ওলাব পিচে! ৰজাৰ আগত কথা কোৱা সামায়ণ কথা নহয় দৌতা!

২য় চোৰাংচোৱা।—হয় মোৰ ঈশ্বৰ! বোলে, "টান টান টান, মদাৰগছৰ পাণ পৰা টান! টান টান টান, ৰজাৰ আগত কথা কোৱা টান!!"

সেনাপতি।—তাতোকৈ টান, সংসাৰত মানুহ চিনা টান! বাৰু, থ এতিয়া সেইবোৰ কথা। আহহঁক, যাহি ৰজাঘৰলৈ। লগত মই কটোৱাল দিম।

(খোজ লয়)

১ম চোৰাংচোৱা। -(কপালত চপৰিয়াই) বল, ভাইটি, কি কৰিম, যি আছে কপালত!

(তিনিওৰো প্ৰস্থান)

পঞ্চম গৰ্ভাঙ্ক

দৃশ্য,—কুৰুক্ষেত্ৰ, উপপ্লব্যত পাণ্ডৱ শিবিৰ

(শ্ৰীকৃষ্ণ, সাত্যকি, যুধিষ্ঠিৰ, ভীম, অৰ্জ্জুন, নকুল, সহদেৱ)

যুধিষ্ঠিৰ।- হে কৃষ্ণ! এতিয়াও সময় আছে। এতিয়াও, তুমি ইচ্ছা কৰিলে কৌৰৱৰ লগত সন্ধি সংস্থাপনৰ সম্ভাৱনা আছে। মোৰ ইচ্ছা, যাতে কৌৰৱ-পাণ্ডৱৰ মাজত মিলা-প্ৰীতি আৰু সুখ-শান্তিত দিন যায়, তাৰ অৰ্থে যেন যুগুত ব্যৱস্থা কৰা হয়। তোমাৰ ইচ্ছা যোগ হলে যে সি সহজে সম্পাদিত হ'ব তাত সন্দেহ নাই।

শ্ৰীকৃষ্ণ।—হে ধৰ্ম্মৰাজ! আপোনাৰ ইচ্ছাই মোৰ প্ৰতি আদেশ। সেই অনুসৰি আগন্তুক কুৰুক্ষেত্ৰ ৰণাগ্নিৰ ফিৰিঙ্গতি জ্বলিবলৈ নৌ পাওঁতেই তাক পানীকৃত কৰাটোৱেই মোৰো ইচ্ছা। সেই অৰ্থে মোৰ চিন্তালোচনাৰ ত্ৰুটী হোৱা নাই। আন কি, সেই উদ্দেশ্যে মই কটকীৰ বাব লবলৈকো মান্তি আছোঁ। কিন্তু, ইতিমধ্যত, পাণ্ডৱ শিবিৰৰ অপৰাপৰ নেতা আৰু নেতৃগণৰ মতামত গ্ৰহণ কৰা বিধেয় বোধ কৰোঁ। বাৰু, তেন্তে পোনেই বৃকোদৰকে সুধিছোঁচোন তেওঁৰ নো কি অভিমত?

ভীম।- হে বাসুদেৱ! মোৰ মনেৰে, তুমি হস্তিনাপুৰলৈ গৈ কৌৰৱবৰ্গক এনেভাৱে পৰামৰ্শ দিবাঁগৈ, যাতে কৌৰৱ-পাণ্ডৱৰ মাজত সন্ধি সংস্থাপিত হয়। পোনেই ৰণৰ আগন্তুক দেখুৱাই কৌৰৱপক্ষক উন্মত্ত নকৰিবাঁগৈ। অহঙ্কাৰী দুৰ্য্যোধনক মিঠা-

মুখেৰে হে সৈমান কৰাবলৈ চাব লাগে। লাগে যদি, আমি দুৰ্য্যোধনৰ অধীন হৈয়ে চলিম, তথাপি আত্মকন্দলৰ ফলত কুৰুকুল ধ্বংস হ'ব নালাগে। এয়ে মোৰ অগ্ৰজৰ অনুগামী অভিমত।

শ্ৰীকৃষ্ণ।--(হাঁহি হাঁহি) হেৰা, বীৰবাহু বৃকোদৰ! তোমাৰ মুখৰপৰাও এনে সেও হোৱা ভাবৰ কথা শুনি মই বাস্তৱতে বিস্ময় মানিছোঁ। ভাগ্যে যদি সন্ধিসংস্থাপন হৈ উঠেগৈ, তেন্তেচোন দুৰ্য্যোধনৰ উৰুভঙ্গ, দুঃশাসনৰ ৰক্তপান আৰু দ্ৰৌপদীৰ বস্ত্ৰহৰণত যোগ দিওঁতাবিলাকক প্ৰতিশোধ দিয়া, এইবোৰ তোমাৰ প্ৰতিজ্ঞা ৰক্ষা নপৰিব একা ?

ভীম।—(চমক্ খাই উঠি) হয়ো তো-হয়। মই আত্মবিস্মৃত হৈছোঁ! মোৰ প্ৰতিজ্ঞা মই কি সাধ্যে ভঙ্গ কৰিম? মই দুৰ্য্যোধনৰ উৰুভঙ্গ নকৰাকৈ—

শ্ৰীকৃষ্ণ।—ক্ষান্ত হোৱাঁ বৃকোদৰ! হে জৰাসন্ধহন্তা বীৰবাহো! তোমাৰ বল-বিক্ৰমৰ কথা জগতে জানে। মই মাথোন তোমাৰ মন বুজি হে চালোঁ। (অৰ্জ্জুনৰ প্ৰতি) বাৰু, এতিয়া সখিৰ অভিমত কি ?

অৰ্জ্জুন।—হে সখি! তোমাৰ হস্তিনাযাত্ৰা প্ৰসঙ্গত যি ক'ব লাগে, অগ্ৰজদ্বয়েই সবিশেষ কৈছে। কিন্তু, সিবিলাকৰ ওচৰত তুমি ব্যক্ত কৰা ভাব-গতিলৈ চাই, সন্ধি সংস্থাপন মোৰ মনেৰে বৰ সম্ভৱপৰ যেন দেখা নাই। তথাপি, কৌৰৱ নেতাসকলৰ লগত এনে ভাৱে আচৰণ কৰিবলৈ তোমাক অনুৰোধ কৰোঁ, যাতে সন্ধি-প্ৰস্তাব সিবিলাকে আগ্ৰহেৰে গ্ৰহণ কৰে। কৌৰৱ-পাণ্ডৱৰ হিতাৰ্থে তুমি হস্তিনাপুৰত যি কৰিবাগৈ তাত আমি নিৰ্ব্বিবাদে সন্মত হম। কাৰণ, প্ৰজাপতি যিৰূপ সুৰ আৰু অসুৰ উভয়পক্ষৰে সুহৃদ, তুমিও তদ্ৰূপ কৌৰৱ আৰু পাণ্ডৱ উভয়পক্ষৰে পৰম সুহৃদ্।

শ্ৰীকৃষ্ণ।--সখি অৰ্জ্জুন! বুজিছোঁ তোমাৰ সঙ্কেত। কিন্তু, মাটি চহাই সিঁচিলেও যথোচিতকৈ বৰষুণ নাপালে শস্য নগজে। পুৰুষে পুৰুষাৰ্থ কৰি কৃত্ৰিম কৌশলেৰে পানীৰ যোগান দিলেও, সি অচিৰে শুকাই নিষ্ফল হ'ব পাৰে। তাকে ভাবি, পূৰ্ব্বৱৰ্ত্তী মহাত্মাসকলে এই মন্তব্য এৰি গৈছে যে, দৈৱ আৰু মানৱৰ পুৰুষাৰ্থ যথাসময়ত যোগ নহলে কাৰ্য্যসিদ্ধি নহয়। এতেকে, মই মাথোন যথাসাধ্য পুৰুষৰ পুৰুষাৰ্থ কৰি চামগৈ, দৈৱ কৰ্ম্মৰ অনুষ্ঠানত মোৰ হাত নাই। (নকুল-সহদেৱৰ প্ৰতি) বাৰু, এতিয়া কনিষ্ঠ পাণ্ডৱদ্বয়ৰ মতামত ব্যক্ত কৰাচোনহঁক।

নকুল।—হে প্ৰভো! মোৰ মনেৰে অগ্ৰজসকলৰ মন্তব্য আপোনাৰ মনতে মৰহিবলৈ দিয়ক, আমাৰ আত্মসন্মান ৰক্ষাৰ্থে আপুনি যি কৰা যুগুত বিবেচনা কৰে, তাকে কৰকগৈ। কুৰুক্ষেত্ৰ যুদ্ধৰ জুই জুহালতে নুমাবলৈ যেন নাপায়, এয়ে মোৰ বাঞ্ছা।

সহদেৱ।—হে জনাৰ্দ্দন! মোৰ মনেৰেও, আপুনি হস্তিনাপুৰত গৈ আগন্তুক ৰণাগ্নি জ্বলাবলৈ হে চাওকগৈ। যি দুৰাচাৰে পাণ্ডৱ পটেশ্বৰী কৃষ্ণা দ্ৰৌপদীক কৌৰৱ ৰাজসভাত থিয় কৰাই অকথ্য নিৰ্য্যাতন দি ৰং চাইছিল, সেই দুৰ্য্যোধনবধ সংঘটিত নহলে আপোনাৰ ধৰ্ম্মৰাজ্য স্থাপন কৰা মহৎ উদ্দেশ্যও সফল নহ'ব।

সাত্যকি।—হে যদুনাথ! মই উপযাচি নকুল-সহদেৱক সমৰ্থন কৰি কওঁ, দুৰ্য্যোধনক বধ নকৰিলে পাণ্ডৱ আৰু যাদৱৰ অন্তৰ শাঁত নহ'ব। দুষ্টক দমন আৰু শিষ্টক পালন কৰাই যদি আপোনাৰ নিষ্কাম ধৰ্ম্ম, তেন্তে কুৰুক্ষেত্ৰৰণ আপুনি নিৰ্ব্বাপিত কৰিবলৈ নাচাব। বিশেষতঃ, এইটো হৈছে যুদ্ধযুগ। এই যুগত পৃথিৱীত নানা ৰাজ্যত যুদ্ধসংবাদ চলিবই লাগিছে। ইতিপূৰ্ব্বতে কুণ্ডিলত কৃষ্ণ-ৰুক্মবীৰৰ যুদ্ধ, মথুৰাত যাদৱ-জৰাসন্ধৰ যুদ্ধ, কামৰূপত কৃষ্ণ-নৰকাসুৰ যুদ্ধ, পাঞ্চালত কৌৰৱ-পাঞ্চালৰ যুদ্ধ ইত্যাদি যুদ্ধসংবাদৰ বিষয় আপোনাৰ অবিদিত নহয়। এতিয়াও কামৰূপৰ অন্তৰ্গত বাণপুৰত বাণ-ৰজা নামে এজন মহা পৰাক্ৰমী দানৱ ৰজা ৰণতৃষ্ণাত উন্মত্ত হৈ উঠিছে। এনেস্থলত ৰণ-

সংঘটনৰ স্বাভাৱিক গতি ৰোধ কৰাটো মই বিধেয় বোধ নকৰোঁ।

(দ্ৰৌপদীৰ প্ৰৱেশ)

শ্ৰীকৃষ্ণ।—অ, কৃষ্ণা! আহিছা, আহাঁ। নহা হলে ময়ে তোমাৰ ওচৰ চাপিলোঁগৈহেঁতেন।

দ্ৰৌপদী।—(বিচাতন ভাৱে) কিয় যতুনাথ! কুৰুক্ষেত্ৰ-ৰণ-ৰচনাৰ মেলত মোৰো মাত আছে নে কি?

শ্ৰীকৃষ্ণ।—নিশ্চয় আছে। উপস্থিত মন্ত্ৰণাত তোমাৰ অভিমত অপৰিহাৰ্য্য বুলি হে ভাবিছো।

দ্ৰৌপদী।—বেচ্ কথা। শুনি সন্তোষ পালোঁ। পিচে, উপস্থিত মেলত নো কোন্ দিশে মন্ত্ৰণা চলিছে? ৰণৰ অনুকূলে নে প্ৰতিকূলে?

শ্ৰীকৃষ্ণ।—হে পাঞ্চালি! সম্প্ৰতি ইয়াকে মাথোন আলোচনা কৰা হৈছে, আগন্তুক কুৰুক্ষেত্ৰ-ৰণ-জুই জলোৱা হ'ব নে সন্ধি সংস্থাপনৰ দ্বাৰাই তাক ইমানতে নুমোৱা হ'ব। আৰু, তুমি জানিছাই, মই সন্ধিৰ প্ৰস্তাৱ লৈ হস্তিনাপুৰলৈ যোৱাটো স্থিৰেই হৈছে, মাথোন পাণ্ডৱপক্ষীয় নেতা আৰু নেতৃসকলৰ অভিমত সংগৃহীত হৈ উঠিবলৈ বাকী। অৱশ্যে, ইতিমধ্যত প্ৰধান কেইজনৰ মতামত লোৱা হৈ গৈছে। আৰু --

দ্ৰৌপদী।—(অধৈৰ্য্যা হৈ) হে মাধৱ! আৰু কোৱাৰ সকাম নাই। সেই প্ৰধান কেইজনৰ কোনে কি অভিমত প্ৰকাশ কৰিছে, মই আৰলৰপৰা সমস্তকে শুনি আহিছোঁ। শুনি শুনি ৰব নোৱাৰি, আত্ম-অভিমত উপযাচি জ্ঞাপন কৰিবলৈ বুলি এই মেলত চাপিছিলোঁহি। এতিয়া আপোনাৰ অনুমতি পাই, মোৰ মনোভাব নিঃশঙ্ক মনেৰে ব্যক্ত কৰিব পাৰোঁ, মেলুৱাইসকলে কাণ পাতে যদি।

যুধিষ্ঠিৰ।—কোৱাঁ কৃষ্ণা, নিজ অভিমত নিঃশঙ্ক মনেৰে কৈ যোৱাঁ। এই মেলৰ নেতা হৈছে শ্ৰীকৃষ্ণ।

দ্ৰৌপদী।—কওঁ তেন্তে, শুনক। সন্ধিস্থাপনেই হওক বা শৰণাগতেই হওক, কোনোটোতে আমাৰ উদ্দেশ্য সিদ্ধি নহ'ব। দুৰ্ম্মতি দুৰ্য্যোধনে সন্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰিলেও কৰিব পাৰে, কিন্তু সেই দুৰাচাৰে আমাৰ অপহৃত ৰাজ্য কদাপি ঘূৰাই নিদিয়ে। আন কি, পাঁচপাণ্ডৱক পাঁচখন গাওঁ দি পাতিবলৈকো সেই আক্ৰোহী পাপাত্মা মান্তি নহয়।

ভীম।—আমাৰ অপহৃত ৰাজ্য ঘূৰাই দিয়ে নে নিদিয়ে চোৱা যাওক, তাকে চাবলৈহে শ্ৰীকৃষ্ণক কটকী বৰণ কৰা হৈছে।

দ্ৰৌপদী।—অপহৃত ৰাজ্য ঘূৰাই পালেও, দুৰাত্মা দুৰ্যোধনকৃত বিগত নিৰ্য্যাতনৰ কথা আমি লেশমানো পাহৰিব নোৱাৰোঁ।

অৰ্জ্জুন।—দুৰ্ম্মতিৰ দোষ ক্ষমা কৰা যায়, যদি হে বুজনিৰ গুণত শুভকাৰ্য্যলৈ তাৰ সুমতি হয়।

দ্ৰৌপদী।—সেই দুৰ্ম্মতি ক্ষমাৰ পাত্ৰও নহয়। এইটোচোন ভগবান শ্ৰীকৃষ্ণৰ জ্ঞানগৰ্ভ ধৰ্ম্মমত যে, অবধ্যজনক বধ কৰিলে যি পাপ হয়, বধ্যজনক বধ নকৰিলেও সেই পাপ হয়। দুৰ্যোধন আৰু তাৰ অনুগামীগণ সিহঁতৰ পাশৱ আচৰণৰ বাবে অৱশ্যে বধ্য, সেই বধ্যজনক বধ কৰিবলৈ ৰণ নাপাতি সন্ধি পাতিলে তাৰ প্ৰত্যবায়ে স্বয়ং বাসুদেৱ সমন্বিত যাদৱ, পাণ্ডৱ আৰু পাঞ্চালক প্ৰত্যক্ষে পাবগৈ, সেই পাপৰ মলি ধুই নিকা কৰিবলৈ সাতসাগৰৰ পানীয়েও নাটিবগৈ। মই মিছা কৈছোঁ নে?

নকুল।—নাই কোৱা মিছা। অতি যুক্তিপূৰ্ণ কথা। কৈ যোৱাঁ। আমি একান্ত মনেৰে শুনি গৈছোঁ।

দ্ৰৌপদী।—মই দুৰ্য্যোধনদলকৃত পাপাচৰণ এই জীৱনত পাহৰিব নোৱাৰোঁ। মই মহাপৰাক্ৰমী দ্ৰুপদ ৰজাৰ জীয়াৰী; মই মহাবীৰ ধৃষ্টদ্যুম্নৰ কনিষ্ঠা; মই পুণ্যাত্মা পাণ্ডু ৰজাৰ বোৱাৰী; মই চক্ৰৱৰ্ত্তী ৰজা ধৰ্ম্ম-যুধিষ্ঠিৰৰ পত্নীপটেশ্বৰী, মই অজেয় জৰাসন্ধ বিজয়ী মহাবাহু বৃকোদৰৰ সহধৰ্ম্মিণী; মই কৃষ্ণসখি পাৰ্থবীৰৰ বীৰজায়া; আৰু মই অশ্বিনীকুমাৰ যুগলৰ অনুৰূপ বীৰচূড়ামণি নকুল-সহদেৱ বীৰযুগলৰ বীৰাঙ্গনা ভাৰ্য্যা। যি কৌৰৱ ৰাজসভাত মোৰ

সদৃশ কুলনাৰী অতি ঘৃণিত আৰু লজ্জিত ভাৱে লাঞ্ছিত, সেই ৰাজসভা ৰাজসভা হৈয়ে ৰব লাগিলে, পৃথিৱীত মানৱমৰ্য্যাদা ৰব ক'ত?

সহদেৱ।—নৰব পৃথিৱীত সেই মৰ্য্যাদালৈ ঠাই। মানৱ-মৰ্য্যাদা মচি পেলালে হে হ'ব। ইয়াত দ্বিধামত হ'ব নোৱাৰে।

দ্ৰৌপদী।—(উত্তেজিত হৈ) ধিক্ ভীমৰ বাহুবল! ধিক অৰ্জ্জুনৰ ধনুৰ্ব্বল! ধিক্ পাণ্ডৱ-পাঞ্চালৰ প্ৰখ্যাত নাম!—দুৰ্য্যোধন আজিও জীয়াই আছে! (শ্ৰীকৃষ্ণৰ প্ৰতি) হে জনাৰ্দ্দন! এই অভাগিনী যদি আপোনাৰ এফোঁটা কৰুণাৰো পাত্ৰী হওঁ, তেন্তে, হে কেশৱ, আগন্তুক কুৰুক্ষেত্ৰ-ৰণ-অগ্নিত ঘৃতাহুতি দি, অনতিপলমে ধৃতৰাষ্ট্ৰ প্ৰমুখ্যে অন্ধ-ৰজাৰ কুলঙ্গাৰ পুত্ৰগণক ভস্মীভূত কৰিবলৈ যুগুতি কৰোকগৈ।

শ্ৰীকৃষ্ণ।—হে যাজ্ঞসেনি! তুমি জ্ঞানৱতী নাৰী; তোমাক কি জ্ঞান দিম! মই এতিয়া কটকী। কটকীৰ বাব পালন কৰিবলৈ মই বাধ্য। মোৰ সাধ্য কি, মই কটকীৰ প্ৰতিশ্ৰুতিৰপৰা চুলি এডালমানো স্ব-ইচ্ছাৰে পিছলি পৰোঁ?

দ্ৰৌপদী।—হে মাধৱ! মই আপোনাৰ উপস্থিত সমস্যাৰ বিষয়ে অবুজাকৈ থকা নাই। যাওক, কৌৰৱ ৰাজসভাত কটকীৰ কাৰ্য্য কৰোকগৈ। কিন্তু, প্ৰস্তাৱিত সন্ধিৰ প্ৰস্তাৱনাত (নিজৰ নবন্ধা চুলি-কোঁচা বাওঁহাতেৰে দাঙ্গি ধৰি) মোৰ এই কলুষিত কেশকোঁচালৈ এবাৰ আপোনাৰ মনত পৰে যেন। এই কোঁচা কেশতে ধৰি, দুৰাত্মা দুঃশাসন বাঘে এই অভাগিনীক অনাথিনীৰ দৰে চোঁচৰাই নি কৌৰৱ ৰাজসভাত থিয় কৰাই, একবস্ত্ৰা অৱস্থাত বিৱস্ত্ৰা কৰিবলৈ বুলি বস্ত্ৰহৰণ মহাপাপ আচৰণ কৰিছিল!

সাত্যকি।—মহাপাপ! অতি বীভৎস আচৰণ! শুনি সিৰে-সিৰে বিৰক্তিৰ ৰক্ত উতলি উঠে!

দ্ৰৌপদী।—কিন্তু, ভীমাৰ্জ্জুনে অক্ষত্ৰিয় কাপুৰুষৰ দৰে সম্মুখ-সংগ্ৰামলৈ ভয় কৰি সন্ধি-সংস্থাপনৰ প্ৰস্তাৱ সমৰ্থন কৰিছে। কৰোক, মোৰ সেই আত্ম-বিস্মৃত স্বামীদ্বয়ে নতশিৰে সন্ধি প্ৰাৰ্থনা কৰোক, তাৰ বাবে এই সিংহী জীয়াৰী, এই সিংহী বোৱাৰী, এই সিংহী পত্নী আৰু এই সিংহী জননী কৃষ্ণ-আৰাধিকা দ্ৰৌপদী নাৰীয়ে অকণো নভৰাওঁ, অলপো হতাশ নহওঁ।—মোৰ বৃদ্ধ পিতৃ দ্ৰুপদৰাজে মোৰ হৈ ৰণক্ষেত্ৰত অস্ত্ৰধাৰণ কৰিবগৈ; মোৰ বীৰ অগ্ৰজ মহাবাহু ধৃষ্টদ্যুম্নই পাঞ্চাল সৈন্যৰ প্ৰধান সেনাপতি হৈ কৌৰৱক আক্ৰমণ কৰিবগৈ; মোৰ পঞ্চপুত্ৰই পাঁচ সেনাপতিৰ বাব লৈ ৰণক্ষেত্ৰত অৱতীৰ্ণ হ'বগৈ, মোৰ অন্যতম বীৰপুত্ৰ সুভদ্ৰানন্দন অভিমন্যু কোঁৱৰে কৌৰৱৰ ৰণব্যূহ অকলে ভেদ কৰিবগৈ; মোৰ অপৰ অন্যতম বীৰপুত্ৰ হিডিম্বা-নন্দন মহাৰথ ঘটোৎকচ কোঁৱৰে আকাশী ৰণেৰে কৌৰৱ সেনা সমূলক্ষে নিপাত কৰিব।

শ্ৰীকৃষ্ণ।—ধন্যা কৃষ্ণা! ধন্য তোমাৰ বীৰাঙ্গনা-তেজ! তোমাৰ ওজস্বিনী বাণীয়ে পাণ্ডৱ শিবিৰত নিশ্চয় সঞ্জীৱনী শক্তি সঞ্চাৰ কৰিব।

দ্ৰৌপদী।—পাপাত্মা দুৰ্য্যোধনৰ উৰুভঙ্গ আৰু দুৰাত্মা দুঃশাসনৰ বাহুচ্ছেদনৰ যি প্ৰতিজ্ঞা পূৰ্ণ কৰিবলৈ ভীমাৰ্জ্জুন অপাৰগ হ'ল, মোৰ পিতৃকুলৰ মহাৰথগণ আৰু প্ৰতিকুলৰ অঙ্গজগণৰ বীৰত্বে তাক কাৰ্য্যত পৰিণত কৰি উভয়কুলৰ মৰ্য্যাদা ৰক্ষা কৰিব; তাত ধনিষ্ঠামানো মোৰ সন্দেহ নাই।

শ্ৰীকৃষ্ণ।—হে বীৰকন্যা! হে বীৰজায়া! হেৰা, বীৰপ্ৰসৱিনী পাঞ্চালি! তুমি নাৰীৰত্ন। তুমি জগতৰ আদৰ্শ ৰমণী। তোমাৰ আদৰ্শ যুগ-যুগান্তৰে নাৰীজাগৰণৰ অমোঘ শক্তি হ'ব। তোমাৰ অভিমান নিশ্চয় ৰক্ষা পৰিব। তোমাৰ মনোৰথ নিশ্চয় পূৰ্ণ হ'ব। কাৰণ, সন্ধি-সংস্থাপনৰ অৰ্থে যদ্যপি মোৰ যত্নৰ ক্ৰটী নহ'ব, তথাপি মোৰ বিশ্বাস, কুমতি শকুনি আছেমানে দুৰ্ম্মতি দুৰ্য্যোধনে সন্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰাটো সম্ভৱপৰ নহয়। এতেকে,—

(আচম্বিতে ৰুক্মিণী দেৱীৰ প্ৰৱেশ ; সকলোটি গিৰিপ্‌কৰে উঠি থিয় দি ঠৰলাগি ৰয়)

শ্ৰীকৃষ্ণ।—(চোচামাৰি গৈ কাষ চাপি) ইকি! প্ৰিয়া উপস্থিত! ক'ৰপৰা? কিয় অকস্মাতে ওলালাহি? দ্বাৰকাৰ সংবাদ কি?

ৰুক্মিণী।—হে নাথ! দ্বাৰাৱতীৰ বাতৰি অতিকৈ শোচনীয়। সেই হে বৰজনা ৰামদেৱৰ অনুজ্ঞা অনুসৰি সংবাদ-বাহিনী হৈ স্বয়ং উপস্থিত হৈছোঁহি। তেখেতৰ আদেশ, আপুনি অনতিপলমে দ্বাৰকালৈ প্ৰত্যাগমন কৰিব লাগে ; অপৰ সকলো যাদৱবৰ্গৰো সেয়ে বাঞ্ছা। আহক, যাওঁ, পলম নকৰিব। মই চৰি অহা আমাৰ গৰুড-ৰথ সজ্জিতভাগেই আছে।

শ্ৰীকৃষ্ণ।—প্ৰিয়া! তুমি স্বয়ং আহিছা যেতিয়া যাবই লাগিব। বাৰু, কোৱাঁচোন দ্বাৰকাত কি আপদ মিলিছে; চমুকৈ আভাসমাত্ৰ পালেও হয়। পাৰ্থামানে অব্যাহতি পাবলৈ চোৱা যাব।

ৰুক্মিণী।—যত্নাথ! আজি দিন চাৰি হৈছে, আপোনাৰ প্ৰাণৰ পুতলি আমাৰ নাতি-কোঁৱৰ অনিৰুদ্ধ অকস্মাৎ নিৰুদ্দেশ! কলৈ গ'ল, কি হ'ল, কোনে নিলেহি, ক'ত আছেগৈ, কোনেও ক'ব নোৱাৰে।

সাত্যকি।—(উদ্বিগ্ন হৈ) কিয়, ইতিমধ্যত আশে-পাশে অনুসন্ধান কৰি চোৱা নাই জানো?

ৰুক্মিণী।—দ্বাৰাৱতীত বিচাৰিবলৈ তো বাকী নায়েই, গোটেই দ্বাৰকা ৰাজ্য বিচাৰি চলাথ কৰা গ'ল, কুমাৰৰ সন্ধান ক'তো পোৱা নগ'ল। দ্বাৰকাৰ চৌপাশে হাবি, বন, পৰ্ব্বত, সাগৰ, সদৌ ঠাইতে পাত্‌পাত্‌কৈ বিচাৰি চোৱা হ'ল, কুমাৰ অনিৰুদ্ধ ক'তো নাই ; ক'তো অলপো ভং-সূত্ৰকে পোৱা নগ'ল।

শ্ৰীকৃষ্ণ।—দ্বাৰকাৰ বাহিৰেও ওচৰ-কাষৰীয়া ৰাজ্যত বিচাৰি চাব লাগিছিল।

ৰুক্মিণী।—যাদৱ বীৰগণে আমাৰ ৰাজ্যৰ বাহিৰ হৈ নানান ঠাইত অনুসন্ধান কৰি আহিলগৈ; ক'তো কুমাৰৰ সন্ধান পোৱা নগ'ল। ক'তো একো চিনেই নাই। মাথোন, আমাৰ শয়নকক্ষৰ দেৱালত এটা জীৱন্ত যেন ছবি অঙ্কিত হৈছে, য'ত কুমাৰ আৰু এটি দিপ্‌লিপ্‌ ৰূপহী জীয়াৰীৰ চিত্ৰ এখন দেশৰ মানচিত্ৰৰ মাজত জিলিকি আছে। তাৰ ব্যাখ্যান আপোনাত বাজে দিওঁতা নাই ; গতিকে সদৌ যাদৱবৰ্গে যুক্তি কৰি, আপোনাক সত্বৰে প্ৰত্যাগমন কৰোৱাৰ উদ্দেশ্যে মোক দূতী স্বৰূপে পাচিলে।

শ্ৰীকৃষ্ণ।—(চিন্তিত আৰু নীৰৱ)

পঞ্চপাণ্ডৱ।—(চিত্ৰাৰ্পিতপ্ৰায় অবাক)

সাত্যকি। স্বয়ং দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণ এই আসন্ন সময়ত গৈ উপস্থিত নহলে, দ্বাৰকা ৰাজ্য ৰসাতলে যাব আজি! প্ৰভুৰ গাৰ ছাঁ যেন ময়ো লগতে নগলে নহ'ব।

দ্ৰৌপদী।—(ৰুক্মিণীৰ প্ৰতি) হে দেৱী! এই বাৰ্ত্তা দি এজন দূত পাচিলেও হ'লহেঁতেন। আপুনি স্বয়ং আহি ইমান শ্ৰম স্বীকাৰ নকৰিলে নহ'লহেঁতেন জানো?

ৰুক্মিণী।—নহ'লহেঁতেন বুলি তো স্বয়ং লৰিব লগাত পৰিলোঁ। দ্বাৰকাত সদৌ যাদৱবৰ্গে বেচকৈ জানে, মোৰ স্বামী বাসুদেৱ ইয়াত কুৰুক্ষেত্ৰ-ৰণ ৰচনাত একান্তমনেৰে নিমগ্ন আছে ; এনে সময়ত মোত্ বাজে আনে তেওঁক অন্যমনস্ক কৰাটো সম্ভৱপৰ নহ'ব। সেই কাৰণে, মোৰ পূজনীয় বৰজনা শ্ৰীৰামদেৱৰ অনুজ্ঞা অনুসৰি মই স্বয়ং দূতী হৈ আহিব লগাত পৰিলোঁ। সি যি হওক, আৰু পলম কৰিব নোৱাৰি ; আমি বিদায় হে মাগিছোঁ।

শ্ৰীকৃষ্ণ।—(যুধিষ্ঠিৰৰ প্ৰতি) ধৰ্ম্মৰাজ! মই সম্প্ৰতিকলৈ বিদায় হে মাগিছোঁ। সবিশেষ পৰন্তে জনোৱা হ'ব। সম্প্ৰতি মই ঘূৰি নাপাওঁহিমানে কুৰুক্ষেত্ৰ-ৰণ-ঘোষণা স্থগিত ৰখা হয় যেন।

যুধিষ্ঠিৰ।—বাৰু, যোৱাঁ, আহাঁগৈ। তোমাৰ অবিহনে মই খোজ এটাও আগ নাবাঢ়োঁ। বলাইক, আমিও ৰুক্মিণী-ৰথৰ সমীপলৈকে গৈ আগবঢ়াই থৈ আহোঁগৈ। (সকলোটিৰ প্ৰস্থান)

ষষ্ঠ গৰ্ভাঙ্ক

দৃশ্য—বাণপুৰ, অস্ত্ৰাগাৰ

(বাণৰজা, কুম্ভাণ্ড মন্ত্ৰী, ৰৌদ্ৰ সেনাপতি)

বাণ।—(উত্তেজিত) সেনাপতি।

ৰৌদ্ৰ।—মহাৰাজ। কিবা আজ্ঞা ?

বাণ।—বাছি দিয়াঁ সহস্ৰ অস্ত্ৰ মোৰ। যাওঁ মই বিনাশোঁগৈ কোন সিটো নৰাধম বাতুল হৈ প্ৰৱেশেহি কন্যাপুৰ মোৰ।

ৰৌদ্ৰ।—প্ৰভো! থাকোতে এই ভৃত্য, স্বয়ং আপুনি লৰিব লাগিছে কিয় ? কি ক্ষুদ্ৰ নৰ সিটো। তাৰ বিৰুদ্ধে স্বয়ং আপুনি যাত্ৰা কৰিব লাগিলে, আমি সেনাপতি কৰ্ম্মচাৰীৰ বাব লোৱাৰ প্ৰয়োজন কি ? কিয় চিকা মাৰি হাত গোন্ধোৱাব লাগিছে আপুনি!

কুম্ভাণ্ড।—হে ৰাজন। ময়ো কওঁ, আপুনি স্বয়ং ৰণযাত্ৰা কৰিবৰ সময় নৌ আহে এথোন।

বাণ।—(উত্তাৱলভাৱে) নহয়, নকৰোঁ, মই স্বয়ং ৰণযাত্ৰা কৰিম। মোৰ আৰু সহ্য নহয়। উঃ। মোৰ সুৰক্ষিত কন্যাপুৰ প্ৰৱেশ কৰি মোৰ কুলচৰিত্ৰ দূষিত কৰেহি, কোন সিটো দূষিতাত্মা। অহঃ, মোৰ সাধ্বী সতী ব্ৰহ্মচাৰিণী জীয়াৰী উষা ধৰ্ষিতা হোৱাত মোৰ সুপ্ৰখ্যাত মহৎকুল আজি ধৰ্ষিত হ’ল, মই সহ্য কৰোঁ কেনেকৈ। সেই নৰ-পাষণ্ডক স্বহস্তে বধ নকৰিলে, মোৰ অপ্ৰতিহত বাহুবলৰ অপযশ আহিব।

কুম্ভাণ্ড।— স্থিৰ হওক, দানবেশ্বৰ। আপুনি এইদৰে উত্তাৱল হলে ৰাজকাৰ্য্য নিয়াৰিকৈ কেনেকৈ চলিব ? ক্ষান্ত হওক, ধীৰভাৱে গবেষণা কৰোক, ই আপোনাৰ যোগ্য কৰ্ম্ম হ’ব নে নহয়। কিয়নো, দূতৰ মুখে যি বৰ্ণনা শুনিলোঁ, তাৰপৰা বুজিব পাৰিছোঁ, কন্যাপুৰত চোৰ বৃত্তিৰে প্ৰৱেশ কৰোঁতা জন কোনোবা কুমলীয়া ৰাজ-কোঁৱৰ ; গৰুড়-বাহনেৰে অহালৈ চাই, তেওঁ এজন যাদৱ কোঁৱৰ হ’ব পায়। তেনেকুৱা কোমল কোঁৱৰ আপোনাৰ সম্মুখীন হ’বৰ যোগ্য নহয় ; আপুনিও তেওঁৰ বিৰুদ্ধে স্বয়ং যাত্ৰা কৰাটো শোভনীয় নহয়। এতেকে, সম্প্ৰতি সেনাপতিকে সসৈন্যে যাত্ৰা কৰোৱাবলৈ আজ্ঞা হওক, আপুনি স্বয়ং লৰিব লগা হয়গৈ যদি, সি পিচ-কথা।

ৰৌদ্ৰ।—মন্ত্ৰী ডাঙৰীয়াই উচিত মন্ত্ৰণা দিছে, মহাৰাজ! ৰৌদ্ৰ হেন সেনাপতি জীৱিত থাকোতে বাণ হেন নৰপতিয়ে স্বয়ং ৰণ-যাত্ৰা কৰাটো বাস্তৱতে অশোভা আৰু অবৈধ বোধ কৰোঁ।

বাণ।—(উন্মত্তভাৱে) উঃ। যি মোৰ কন্যাপুৰ অদ্ভুত অগ্নিগড়ৰ দ্বাৰাই পৰিৰক্ষিত, য’ত ভীমবিক্ৰম আদিত্য বসু আৰু ৰুদ্ৰগণ, কিম্বা মহাতেজোসম্পন্ন অশ্বিনীকুমাৰ যুগলেও প্ৰৱেশ কৰিবলৈ কুণ্ঠিত হয়, সেই কন্যাপুৰৰ কেন্দ্ৰস্থিত উষা-অন্তঃপুৰলৈ অদ্ভুত কৌশলেৰে প্ৰৱেশ কৰি যি সামান্য নৰে দেৱতা-মানিত দানবকুল কলুষিত কৰিলেহি, সেই নৰাধমক মই স্বহস্তে নিধন নকৰিলে মোৰ তৃপ্তি নহ’ব।

কুম্ভাণ্ড।—হে ৰাজন্! আপোনাৰ অত্যধিক শাৰীৰিক বলবীৰ্য্য থাকিলেও, সেই চৌৰবৃত্তিধাৰী যাদৱ বংশীয় যুৱকৰ প্ৰাণ লবলৈ আধ্যাত্মিক বল নাই ; যি হেতু, যেনে-তেনে-প্ৰকাৰে তেওঁ এতিয়া আপোনাৰ জোঁৱাঞি। শাস্ত্ৰ মতে জোঁৱাঞি অবধ্য।

বাণ।—সি কি কথা। মই সম্প্ৰদান নিদিয়াকৈ যি মোৰ জীয়াৰীৰ সতীত্ব হৰণ কৰিলেহি, সি কোন্ বিধিমতে জোঁৱাঞি হ’ব পাৰে ? মন্ত্ৰী, তুমি শাস্ত্ৰত সুবিজ্ঞ লোক হৈ কিয় এনে উদ্‌ভ্ৰান্ত মত দিছাঁ ?

কুম্ভাণ্ড।—মহাৰাজ! বিবাহ-পদ্ধতি এক নহয়, একাধিক। আপুনি সম্প্ৰদান দিয়া নাই যদিও, সম্ভৱতঃ ইতিমধ্যত আপোনাৰ জীয়াৰীৰ লগত সেই অপৰিচিত পুৰুষৰ গান্ধৰ্ব্ব বিবাহ হৈ গৈছে। তাৰ সম্ভেদ্ নোপোৱাকৈ আপুনি তেওঁক বধ কৰিব নোৱাৰে।

বাণ।—উঃ! যেয়ে হওক, সেই নৰ-পাষণ্ডৰ সেই দুৰ্ম্মতিৰ কি বীৰ্য্য! কি ধৈৰ্য্য! কি ধৃষ্টতা! অবৈধ আৰু অবধ্য হলেও, সেই দুৰ্দ্দান্ত যুৱকৰ লগত এবেগলৈ লৰি চাবলৈ পালে, কিজানি মোৰ অদম্য ৰণলীপ্সা কিয়ৎপৰিমাণে প্ৰদমিত হ'ব পাৰে। নহলে তো মোৰ ধৈৰ্য্যতাই মোক এৰা দিবৰ সময় চাপিল। অহঃ! কতকাল অপেক্ষা কৰিম আৰু মোৰ মনোমত ৰণ লাভলৈ?- নকৰোঁ, নকৰোঁ অপেক্ষা আৰু!

কুম্ভাণ্ড।—হে মহাসুৰ! ক্ষান্ত হওক। নালাগিব কৰিব অপেক্ষা আৰু অধিক দিন কি জানি। ঘটনাৰ বিবৃতি মতে যি বুজা গৈছে, উপস্থিত শত্ৰু আগৰগুৰা মাথোন, তাৰ গুৰিবল নৌ আহে এথোন। সেই গুৰি মহাবল আহি সম্মুখীন হ'লেহিয়েই আপোনাৰ বাঞ্ছা সিদ্ধি হ'ব বোধ কৰোঁ।

বাণ। -হ'ব পাৰে কোন্ সেই গুৰিবল? কাক বুলি পাঙিছা মনত? মন্ত্ৰী! কিৰূপে জানিছা তুমি হ'ব বুলি যোগ্য বীৰ সেই জন মোৰে সৈতে সমভাৱে সম্মুখীন হ'বলৈ?

কুম্ভাণ্ড।—মহাৰাজ! অনুমান মাথোন, স্বৰূপকৈ ক'ব নোৱাৰোঁ এথোন। তথাপি, হয় যদি সেই চৌৰ-বৃত্তিধাৰী জন কোনোবা যাদৱ কোঁৱৰ, তেন্তে তেওঁৰ গুৰিবল হ'ব যাদৱেশ্বৰ স্বয়ং শ্ৰীকৃষ্ণ।

বাণ।—(আশান্বিত হৈ) হ'ব নে তেওঁ যোগ্য প্ৰতিদ্বন্দ্বী মোৰ?

কুম্ভাণ্ড। -পৃথিৱীত বৰ্ত্তমান জীৱিত শ্ৰেষ্ঠ মানৱৰ মাজত দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণ সবাতোকৈ শ্ৰেষ্ঠ। তেওঁ যদি আপোনাৰ যোগ্য প্ৰতিদ্বন্দ্বী নহয়, তেন্তে আৰু হওঁতা নাই।

বাণ।—মোতকৈও শ্ৰেষ্ঠ নে তেওঁ?

কুম্ভাণ্ড।—দেখিলেহে লেখিম; এতিয়াই কেনেকৈ কম মহাৰাজ!

বাণ।—বেচ্ কথা। তুমি লেখিবলৈকে দেখুৱাম এইবাৰ। কোন্ তোমাৰ শ্ৰেষ্ঠতম মানৱ শ্ৰীকৃষ্ণ, কিমানৰ বীৰ তেওঁ, দেখা যাব পাওঁ যদি লগ। মোৰ আগত ঠাৰৰিব পাৰে তো ভালেই; নোৱাৰিলে অবাবত অকালত তেওঁ যমপুৰী পাবগৈ! যি হওক, তেওঁ কিছুপৰ ঠাৰৰিব পাৰিলেও হয়। মোৰ সহস্ৰভুজ পৰিমিত বলৰ পূৰ্ণ পৰিতৃপ্তি অৱশ্যে অসম্ভৱ, তথাপি তেওঁৰ লগত লাৰি আংশিক তৃপ্তি লাভ হলেও যথালাভ বুলি ভাবিম। শ্ৰীকৃষ্ণৰ নাম শুনোতেময়ো শুনিছোঁ, তেওঁ বোলে এজন সুকৌশলী যোদ্ধা। মোৰ মনোৰথ সেই কল্পিত যুদ্ধত যৎকিঞ্চিৎ পূৰ্ণ হলেও হ'ব পাৰে। এতেকে, মন্ত্ৰী! তোমাৰ কথাই কথা। সম্প্ৰতি কন্যাপুৰত চৌৰবৃত্তিৰে প্ৰৱেশ কৰা দুৰ্ম্মতি বালকক জীৱন্তে ধৰি আনিবলৈ ৰৌদ্ৰ সেনাপতিয়েই যাত্ৰা কৰক, ইফালে আমি আচল ৰণৰ আয়োজনত ধৰোঁগৈ, —আহাঁহক।

(সকলোটিৰ প্ৰস্থান)

সপ্তম গৰ্ভাঙ্ক

দৃশ্য.—কন্যাপুৰ, উদ্যান, ফুলনি

(উষাদেৱী আৰু অনিৰুদ্ধ কোঁৱৰ)

উষা।—প্ৰাণেশ্বৰ!

অনিৰুদ্ধ।- প্ৰাণেশ্বৰী!

উষা।—দিন যেন উৰিহে যায়। চকুপচাৰতে ঢুকায়!

অনিৰুদ্ধ।—সঁচা প্ৰিয়া! সুখৰ দিন এই দৰেই ঢুকায়,
দুখৰ দিন হে নাযায় নুপুৰায়!

উষা।—নাথ! ঠিক ধৰিছে আপুনি। ময়ো সুমৰি চাইছোঁ, কেদিনমানৰ আগেয়ে মোৰ দিন-ৰাতি নাযায়-নুপুৰায় যেন লাগিছিল। সখী চিত্ৰলেখা আপোনাৰ উদ্দেশ্যে উৰি যোৱাৰ পাচত, আপোনাৰে সৈতে ঘূৰি আহি নোপোৱালৈকে সেই এদিন-এৰাতিয়েই মোৰ মানত একো-একোটা যুগ যেন লাগিছিল।

অনিৰুদ্ধ।—লাগিবৰে কথা। প্ৰিয়া! সেই সময়ত মোৰ মানতো এৰাতি আহোঁতেই ছমাহৰ বাট যেন লাগিছিল। আহি থাকোমানে আকাশী বাট দীঘল হৈ হে যায়!

উষা!—সঁচা। সময় যোৱা আৰু বাট টুটা দুয়ো যেন একে সাঁচত হে উঠিছিল। মনৰ অধৈৰ্য্যতাত, দীঘল হৈ হে যায়। ময়ো সেই সপোনৰ পিচ-দিনা, মনৰ উগুলথুগুলত এই ফুলনিৰপৰা সন্ধিয়া-পৰত গৈ গৈ মোৰ শয়নকক্ষ নাপাওঁ নাপাওঁগে যেন লাগিছিল! সখীহঁতে ধৰি ধৰি নি·থাকোঁতে আহি আহি মোৰ আমনি লাগিছিল!

অনিৰুদ্ধ।—স্বৰূপ। পিচে, এতিয়া? (চুপতিৰ হাঁহি)

উষা।—(কথা পাহৰাবৰ ছলেৰে) হেৰি, হেৰি! চাওকচোন, সৌ ফুল দুটি! কেনেকৈ ফুলি আছে দেহি, একেটি থুপিতে!

অনিৰুদ্ধ।—আমাৰে বিজনি দিছে দুয়ো একেটি থুপিতে ফুলি। দেহিঐ! চোৱাঁচোঁ, হেৰা, দুয়োটি কেনুৱা মৰমে-মৰমে যোঁটা! ইটিয়ে সিটিক, সিটিয়ে ইটিক হাঁহি হাঁহি মিলনৰ দিছে সমিধান!

উষা।—আইঐ দেহি! ইটিত সিটিৰ·প্ৰাণ, সিটিত ইটিৰ! কি যে প্ৰাণ-বিনিময়!

অনিৰুদ্ধ।—অতি স্বাভাৱিক। প্ৰিয়া! নতু নাযায় বান্ধ দাম্পত্য-যোৰা। নিজতে ৰিজাই চোৱাঁ।

উষা।—সঁচা, প্ৰাণেশ্বৰ! আমিয়ে উপমা ফুলৰ, নে ফুলেই উপমা আমাৰ, নাপাওঁ উৱাধি তাৰ!

অনিৰুদ্ধ। আৰু প্ৰাণেশ্বৰী। আঁতিগুৰি তাৰ প্ৰেম-আকৰ্ষণ; পাচত প্ৰণয়-বন্ধন।

উষা।—স্বৰূপ ধৰিছে আপুনি। হেৰি, নাথ! আছিল আপুনি ক'ত, আছিলোঁ বা মই ক'ত,—সহস্ৰ যোজনৰ বাট!—আজি দুয়ো একেঠাই, একেটি থুপিত!

অনিৰুদ্ধ।—প্ৰিয়া হেৰেই! বিধাতাই পাতিছে যোৰা! আছোঁ দুয়ো যোৰালাগি, থাকোঁ যেন চিৰকাল।

উষা।—প্ৰাণেশ্বৰঐ! থাকো যেন যোৰালাগি, থাকোঁ আজীৱন। জন্মে-জন্মে জীওঁ যেন আমি দুটি প্ৰাণ যোৰা পাতি এই ভাৱে! (প্ৰেমগদগদ অন্তৰেৰে কুমাৰৰ কৰ্ণমূলত নিজৰ নাকৰ পাহিৰে সৈতে স্পৰ্শ কৰি বিভোল হয়)

(এনেতে, ধৰ-মাৰকৈ ৰাজকীয় সেনাদলৰে সৈতে ৰৌদ্ৰ সেনাপতিৰ আচম্বিতে প্ৰৱেশ)

ৰৌদ্ৰ।—আছা ক'ত কন্যাচোৰ! ওলাই আহাঁ, নিওঁ ধৰি বাণপুৰলৈ।

উষা।—(চঁক্‌খাই উঠি) ইকি! ইকি হ'ল হায়!—কোন্ তুমি? কিয় হ'লাঁ আহি শান্তিত বিঘিনি মোৰ! কোনে দিলে এৰি বাট অন্তঃপুৰলৈ?

ৰৌদ্ৰ।—আইদেউ! ৰাজসেনাপতি মই। জানা তুমি, ৰৌদ্ৰ নাম মোৰ। ৰাজাজ্ঞাত আহিছোঁ ইঠাই। বলেৰে প্ৰৱেশিছোঁ আহি। সাধ্য কাৰ ৰোধে মোৰ গতি!

উষা।—কি বুলি প্ৰৱেশিলাঁ অন্তপুৰত মোৰ? কিবা উদ্দেশ্য তোমাৰ? অপৰাধী তুমি অনধিকাৰ প্ৰৱেশৰ বাবে। বন্দী তুমি; আজ্ঞা মোৰ।

ৰৌদ্ৰ।—আইদেউ! আপোনাৰ আজ্ঞা নৰজে ইবেলা! আজ্ঞাৰ উপৰি আজ্ঞা যি, সেই আজ্ঞা পালনৰ হেতু মই আহি উপস্থিত। কোন্ সিটো নৰাধম, চোৰ হৈ প্ৰৱেশিছে এই অন্তঃপুৰত? নিব লাগে ধৰি তাক ৰাজ সমীপলৈ।

অনিৰুদ্ধ।—(প্ৰবল বেগেৰে আগ বাঢ়ি গৈ, সেনাপতিৰ হাতৰ অস্ত্ৰ কাঢ়ি লৈ) নৰাধম! কোন্ নৰাধম?—নৰাধম তুমি। ইচ্ছা হলে, এতিক্ষণে পঠিয়াব পাৰোঁ যমপুৰী। (দুইৰো মাজত দ্বৈৰথযুদ্ধ; সেনাপতিয়ে ঠাৱৰিব নোৱাৰি এৰাই লৰ মাৰে; ছত্ৰভঙ্গ হৈ দিহাদিহি পলায়)

উষা।—(আতুৰভাৱে কৰযুৰি) হে ভগবান! ৰক্ষা কৰাঁ, অকলশৰে লৰে মোৰ প্ৰাণেশ্বৰ।

অনিৰুদ্ধ।—প্ৰিয়া! নকৰিবাঁ ভয়। চাই থাকাঁ, মোহাৰোঁ কিৰূপে আজি শিয়ালৰ দল।

(সসৈন্যে সেনাপতিৰ পুনঃ প্ৰৱেশ)

ৰৌদ্ৰ।—আহাঁ পুনঃ এইবাৰ। দেখোঁ তুমি কিমানৰ বীৰ। ৰজাৰ আজ্ঞা জীৱন্তে ধৰি নিবলৈ, নতু এই মুহূৰ্ত্ততে তোমাক দেখুৱালোঁহেঁতেন যমপুৰী।

অনিৰুদ্ধ।-(চাপি গৈ) চাপিছোঁ কাষ। নিয়াঁ ধৰি শক্তি আছে যদি।

ৰৌদ্ৰ।—(সেনাবৰ্গৰ প্ৰতি) ধৰহঁক। কি চাই আছ? বন্দী কৰ, লৈ যাওঁ ৰাজসমীপলৈ।

(সেনাগণে কিৰিলিয়াই বেৰি কুমাৰক গৰাহ মাৰি ধৰে; সেনাপতি আৰু কুমাৰৰ ডবৰা-ডাবৰি, সেনাপতিৰ হাতৰ অস্ত্ৰ কাঢ়ি লৈ দলিয়াই পেলাই কুমাৰে মল্লযুদ্ধ আৰম্ভ কৰে, ঠাৱৰিব নোৱাৰি সৈন্য সমন্বিতে সেনাপতি পলাই পত্ৰং দিয়ে)

উষা। (উধাতুখাই কুমাৰক সাবটি ধৰি) নাথ! নাথ! মোৰ প্ৰাণেশ্বৰ!

অনিৰুদ্ধ।—প্ৰাণেশ্বৰী! নহ'বা অধীৰা। নকৰিবা ভয়। ভাগিল ভয়াতু দল। বলা যাওঁ। সন্ধ্যা হ'ল। সোমাওঁ ভিতৰ।

ৰৌদ্ৰ।—(পুনৰপি ভুমুকি মাৰি) বিস্ময়! কি অদ্ভুত বীৰ! দুবাৰো মোহাৰি পেলালে মোক চেমনীয়া ল'ৰা এজনে। কোন্ বীৰৰ সঁচ, ক'ব নোৱাৰোঁ। যাওঁ, উলটি ৰজাৰ আগত সমস্তে বিবৰি কওঁগৈ। (প্ৰস্থান)

অনিৰুদ্ধ।—(আপোনা-আপুনি) যোৱাঁ, কোৱাঁগৈ, ৰজাই মোৰ কাণ কাটিবহি!

উষা।—হেৰি, নাথ! সঁচাকৈয়ে পলাল ৰৌদ্ৰ সেনাপতি। যাওক, আপদ গ'ল। কিন্তু প্ৰাণেশ্বৰ! এয়ে নহয় শেষ। অচিৰে আহিব পুনু দানৱবাহিনী। আহিব ইবাৰ শতাধিক প্ৰতাপেৰে। কি হ'ব উপায় হাঁয়!

অনিৰুদ্ধ।—চিন্তা নাই, প্ৰিয়া! উপায় অৱশ্যে হ'ব। আহি থাওক, আহেমানে দানৱ ৰণবল। অকলে জিনিম মই মথিমূৰ কৰি!

(আচম্বিতে নাৰদ মুনিৰ প্ৰৱেশ)

নাৰদ।-জয় হৌক কুমাৰৰ। জয়যুক্তা হোৱা হেৰা উষাদেৱী!

(দেৱৰ্ষিৰ চৰণ স্পৰ্শি উষা-অনিৰুদ্ধৰ প্ৰণিপাত)

উষা।—লইছোঁ আশীষ্ দেৱ, দুয়ে শিৰপাতি। দিয়া পুনু আশীৰ্ব্বাদ, পাওঁ যেন পৰিত্ৰাণ আসন্ন আপদ নাশি। নিঃসহায় প্ৰাণেশ্বৰ মোৰ।

নাৰদ।—পাবা পৰিত্ৰাণ। নকৰিবা ভয়। কুমাৰৰ অমোঘ সহায় বৰ্ত্তমান আছে। যাওঁ মই এতিক্ষণে দ্বাৰকা উদ্দেশে। দিওঁগৈ দ্বাৰকেশ্বৰত উপস্থিত সঙ্কটৰ সংবাদ। উদ্ধাৰিব আহি শ্ৰীকৃষ্ণৰূপী হৰি। নহ'বা চিন্তিত।

অনিৰুদ্ধ।- যোৱা দেৱদূত, দেৱৰ্ষি নাৰদ! ঘূৰিবা ত্বৰিতে।

(উষা-অনিৰুদ্ধই প্ৰণিপাত কৰে, আশীৰ্ব্বাদ দি নাৰদৰ প্ৰস্থান। উষা-অনিৰুদ্ধই ধীৰে ধীৰে অন্তঃপুৰ প্ৰৱেশ কৰে)

৩য় অঙ্কপাত

চতুৰ্থ অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

দৃশ্য,—কুৰুক্ষেত্ৰত পাণ্ডৱ শিবিৰ

(ভীমাৰ্জ্জুন)

ভীম।—কি কাম কৰিলোঁ হাঁয়! হেৰা অৰ্জ্জুন! অগ্ৰ-পশ্চাৎ গুণগুণাকৈ সন্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰি আমি অতি গৰ্হিত কাম কৰিলোঁ! সেই কুক্ষণত পৰি, অনিৰুদ্ধ উদ্ধাৰৰ যাত্ৰাত শ্ৰীকৃষ্ণদেৱক সহায় কৰা সোণাময় ছেগ এটিও হেৰুৱালোঁ! এতিয়া সেই অকাৰ্য্য খণ্ডনাৰ্থে কি উপায় কৰোঁহঁক?

অৰ্জ্জুন।—হে মোৰ অগ্ৰজ বৃকোদৰ! মোৰ মনেৰে আমি একো অকাৰ্য্য কৰা নাই। অগ্ৰজৰ অনুজ্ঞা পালন

কৰা গৰ্হিত কাৰ্য্য নহয়, বৰঞ্চ সি জ্ঞানী সমাজৰ গ্ৰহণীয় ধৰ্ম্ম-কৰ্ম্ম। আৰু জানিব, অনিৰুদ্ধ কুমাৰক উদ্ধাৰ কৰিবলৈ স্বয়ং হৰি শ্ৰীকৃষ্ণৰ আত্মবলেই যথেষ্ট, তথাপি আমাৰ সাহাযাৰ প্ৰয়োজন হলে আমি যথাসময়ত নিশ্চয় সংবাদ পামহঁক।

ভীম।—হেৰা অৰ্জ্জুন! তুমি মোৰ অন্তৰৰ আত্মগ্লানি হৃদয়ঙ্গম কৰিব পৰা নাই। নতু, বৃথা বুজনিৰ শান্তিপানী ঢালি তাক ধোৱাঁময় কৰিবলৈ নাচালাহেঁতেন। কৃষ্ণা পাঞ্চালীৰ যুক্তিযুক্ত ধিক্কাৰে আমাৰ অন্তৰৰ প্ৰজ্বলিত অনুতাপত ঘৃতাহুতি ঢালিলে, তাক তুমি অলপো গমি চোৱা নাই। আৰু, আমাৰ সেই কাপুৰুষতাৰ নিদৰ্শন পাই হে শ্ৰীকৃষ্ণদেৱে এইবাৰ কামৰূপ যাত্ৰাত আমাক এৰি গ'ল। অহঃ! মই লগত যাবলৈ পোৱা হলে অনায়াসে অনিৰুদ্ধ কুমাৰক উদ্ধাৰি আনিলোঁগৈহেঁতেন।

অৰ্জ্জুন।—হে মহাবাহো! আপোনাৰ আন্তৰিক অনুতাপ মই অনুভৱ নকৰাকৈ থকা নাই। কৃষ্ণাৰ সেই একেটা ধিক্কাৰেই মোৰ অন্তৰতো আক্ষেপৰ আগ্নেয় শিখা প্ৰজ্জ্বলিত কৰিছে। তাৰ পোৰণিত তৰণি পোৱা নাই! বিশেষতঃ, কুমাৰ-হৰণ আপদত যাদৱ বান্ধৱক অযাচিতে সহায় কৰিবলৈ নাপাই মোৰ অন্তৰ অনুতাপত দগ্ধ হ'ব লাগিছে! পিচে, কৰোঁ কি! অগ্ৰজৰ অনুজ্ঞা অখণ্ডনীয়।

ভীম।—তুমি যি কৰাঁ, কৰিবাঁ, মোলৈ কিন্তু কি অসহ্য! উঃ! কৃষ্ণাৰ সেই মৰ্ম্মভেদী বাণীয়ে মোৰ অন্তৰ স্তৰে স্তৰে ভেদিছে। অহঃ! মোৰ প্ৰতিজ্ঞা! মোৰ জীৱনৰ পণ। নোৱাৰোঁ এৰিব মই। যাওঁ, যাওঁ ময়ো এই ছেগতে কৃষ্ণ অনুগামী হৈ অনিৰুদ্ধ কুমাৰক উদ্ধাৰ কৰি আনোগৈ।

(উত্ৰাৱল হৈ যাবলৈ উদ্যত)

অৰ্জ্জুন।—হে হিড়িম্বানাথ! আপোনাৰ বীৰোচিত উক্তি খণ্ডাবলৈ মোৰ যুক্তি নাই। কিন্তু অলপ দকৈ গমি চাওক, অগ্ৰজৰ অনুজ্ঞা পালনো আমাৰ অন্যতম লক্ষ্য। কুমাৰৰ উদ্ধাৰাৰ্থে আমাৰ উপস্থিতিৰ প্ৰয়োজন হলে, আমিও তুৰন্তে কন্যাপুৰ উদ্দেশে কামৰূপ-যাত্ৰা কৰিম। সম্প্ৰতি আপুনি ক্ষান্ত হওক।

(যুধিষ্ঠিৰৰ প্ৰৱেশ)

যুধিষ্ঠিৰ।—ভীমাৰ্জ্জুন! তোমালোকে অতপৰ আঁতৰি কি কৰিছাহি ইয়াত? মই তোমালোকক বিচাৰি এইখিনি পাইছোঁহি! কাৰণ, কুমাৰ-হৰণ সংবাদে মোক অতিকৈ বিচলিত কৰি পেলাইছে!

ভীম।—(উত্ৰাৱলচিত্তে যুধিষ্ঠিৰৰ চৰণত ধৰি) হে ধৰ্ম্মৰাজ! ক্ষমা কৰক। মোৰ পক্ষে আৰু অসহন! আজি অতকাল মই আপোনাৰ অনুজ্ঞা পালনত ত্ৰুটী কৰা নাই। কতবাৰ শৰীৰৰ উতলা তেজ শৰীৰতে চেঁচা পেলাই মনৰ উদ্বেগ মনতে মাৰ নিয়াই, আপোনাৰ অভিমত ৰক্ষা কৰি আহিছোঁ; -এইবাৰ একেবাৰে অসহ্য! কৃষ্ণাৰ ধিক্কাৰে মোক উদ্বেলিত কৰিছে। মই সন্ধিৰ প্ৰস্তাৱত মান্তি হ'ব নোৱাৰোঁ। আজ্ঞা কৰক, মোৰ এই অপৰিবৰ্ত্তিত অভিমত শ্ৰীকৃষ্ণত জ্ঞাপন কৰোঁগৈ; আৰু সেই সুছেগতে কামৰূপলৈ যাত্ৰা কৰি, অনিৰুদ্ধ উদ্ধাৰত যোগ দি অলপ শান্তি লাভ কৰোঁগৈ।

যুধিষ্ঠিৰ।—হেৰা বৃকোদৰ! তুমি কিয় ইমান উচাটন হৈছাঁ? স্থিৰ হোৱাঁ। ধৈৰ্য্য ধৰাঁ। অনিৰুদ্ধ কুমাৰক উদ্ধাৰ কৰা কাৰ্য্যত আমাৰ সহযোগ প্ৰয়োজন হ'লেই মই আপোনমনেৰে তোমালোক দুইকো কন্যাপুৰলৈ যাত্ৰা কৰাম।

ভীম।—হে ধৰ্ম্ম! নধৰিব আৰু মোক। আত্ম-প্ৰতিজ্ঞা ভঙ্গ কৰিবলৈ মোৰ আত্মবল নাই। তদুপৰি, বীৰকন্যা, বীৰজায়া, বীৰজননী, আদৰ্শ ৰমণী, কৃষ্ণা পাঞ্চালীৰ অসহ্য ধিক্কাৰৰ প্ৰেৰণা! অসহ্য! অসহ্য!

যুধিষ্ঠিৰ।—বুজিছোঁ বিশেষ। কিন্তু, হেৰা ভীম! গমি চোৱাঁ, আত্মবংশ ধ্বংস কৰি কি লাভ আমাৰ?

বংশ-কুটুম্ব, আত্মীয়-স্বজন বৰ্জ্জিত হৈ ৰাজ্যভোগত সুখ-সন্তোষ কি আছে? সেই হে চাইছোঁ, পাৰোঁ যদি, বিনা ৰক্তপাতে উদ্দেশ্য সিদ্ধি কৰোঁ। তালৈকো, কি যে দুভাগ্য, কুমাৰ অনিৰুদ্ধ-হৰণে সম্প্ৰতি আমাৰ চকুৰ মণি শ্ৰীকৃষ্ণকো হৰি নিছে।

(আচম্বিতে দ্ৰৌপদীৰ প্ৰবেশ)

ভীম।- (চঁকখাই উঠি) অ. কৃষ্ণা। পালোঁহি আকৌ। (যুধিষ্ঠিৰৰ চৰণত ধৰি) নধৰিব আৰু প্ৰভো। নবধিব মোক। নোৱাৰোঁ এৰিব মোৰ প্ৰাণৰ প্ৰতিজ্ঞা। দুৰ্য্যোধনৰ উৰুভঙ্গ আৰু দুঃশাসনৰ ৰক্তপান মোৰ এই লক্ষ্য ভ্ৰষ্ট হ'ব লাগিলে, এই জীৱন ধাৰণৰ আৰু প্ৰযোজন নাই। হয় মোৰ প্ৰতিজ্ঞাপালনৰ লক্ষ্য ৰাখক, নহয় মোৰ প্ৰাণ লওক। মোৰ প্ৰতিজ্ঞা বৰ্জ্জনৰ পূৰ্ব্বেই মই আত্ম বিসৰ্জ্জন বাঞ্চা কৰোঁ। হে মোৰ আৰাধ্য অগ্ৰজ। ক্ষমা কৰিব, নোৱাৰোঁ ভাঙ্গিব মোৰ অলঙ্ঘ্য প্ৰতিজ্ঞা। অসম্ভব, অসম্ভব। নামানে বুজনি মনে, সুবুজে পৰাণে। অসহ্য। অসহ্য!! অসহ্য!!!

(উত্ৰাৱল হৈ প্ৰস্থান)

দ্ৰৌপদী।—(উত্তেজিতা হৈ) ধন্য। ধন্য। ধন্য ভীষ্মৰ প্ৰতিজ্ঞাসম ভীমৰ প্ৰতিজ্ঞা। ধন্য মই। ধন্য মোৰ কুল মান। ধন্য মই পাণ্ডৱ বোৱাৰী।

যুধিষ্ঠিৰ।—(হতাশ হৈ অৰ্জ্জুনৰ প্ৰতি) কি হ'ব উপায়। এই আসন্ন আপদৰ পাৰ কেনেকৈ পাওঁ। ভীমক ঘূৰাব নোৱাৰিলে সন্ধিৰ প্ৰস্তাৱ ভ্ৰষ্ট হয এতিয়া।

দ্ৰৌপদী।—(উন্মত্তা হৈ) কি দিব উপায? আছে কি উপায়? অকৰ্ম্মা নিৰ্জ্জীৱ আজি পৃথাৰ নন্দন। পাৰ্থ নামৰ অযোগ্য আজি তেওঁ। আজি তেওঁ সেই বিৰাটৰাজৰ ঘৰৰ নপুংসক। গাণ্ডীৱ ধাৰণৰ অযোগ্য আজি তেওঁ।

অৰ্জ্জুন।—হেৰা যাজ্ঞসেনি। যথেষ্ট হৈছে, আৰু নজলাবাঁ। তোমাৰ ধিক্কাৰে মোৰ অন্তৰ স্তৰে-স্তৰে বিদ্ধ কৰিছে। (যুধিষ্ঠিৰৰ প্ৰতি) হে মোৰ স্বৰ্গতো অধিক পূজনীয় অগ্ৰজ! আপোনাৰ অনুজ্ঞা পালনাৰ্থে এই জীৱন উছৰ্গিত, কিন্তু সাধ্য কি মোৰ, অগ্ৰজ ভীমসেনক ঘূৰাবলৈ। এতেকে, সম্প্ৰতি ক্ষান্ত হওক, সমস্যাধাৰী হৰি শ্ৰীকৃষ্ণ ঘূৰি নাপায়হিমানে।

যুধিষ্ঠিৰ।—(বিচলিত হৈ) ইও মোৰ অন্যতম চিন্তা। মোৰ প্ৰাণাধিক প্ৰিয়তম অনুজোপম শ্ৰীকৃষ্ণদেৱ এতিয়া ক'ত, কি ভাৱে আছে, তাৰ সঠিক সম্বাদ নাপাই মোৰ মন প্ৰাণ অস্থিৰ হৈ পৰিছে। কুমাৰ হৰণ সংবাদে মোক আৰু বিমোৰ কৰি আনিছে।

দ্ৰৌপদী। হায়! কুমাৰ হৰণ সংবাদে মোকো তল নিয়াই থৈছে। ভগৱান মাধৱৰ গতি-স্থিতিৰ স্বৰূপ বাৰ্ত্তা নাপাই মোৰ অন্তৰত তৰণি নাই, চকুত টোপনি নাই।

অৰ্জ্জুন।--পাইছোঁ সঠিক সংবাদ। সখি শ্ৰীকৃষ্ণদেৱে দ্বাৰকাত গৈ কামৰূপৰ কন্যাপুৰ যাত্ৰালৈ বিপুল আয়োজন কৰিছেগৈ। সেই ৰাজাৰ ৰজা বাণাসুৰৰে সৈতে এখন ভীষণ ৰণ পাতিবলৈ তেওঁ সক্ষম হৈছেগৈ। কাৰণ, বাণ-ৰজাৰ সুৰক্ষিত কন্যাপুৰতে সম্প্ৰতি কুমাৰ অনিৰুদ্ধ বন্দী হৈ আছে।

দ্ৰৌপদী।—(বিচলিত হৈ) ভীষণ ৰণ। হায়, সুদূৰ বিদেশত ভীষণ ৰণ দিবলৈ মাধৱক অকলশৰে পঠিযাই আমি নিশ্চিন্ত আছোঁইক।

অৰ্জ্জুন।—নহয় অকলশৰে। বাসুদেৱে যাদৱবাহিনীৰে সৈতে গৈ, দুৰ্জ্জয় বাণৰজাক জয় কৰি, কন্যাপুৰৰপৰা কুমাৰ অনিৰুদ্ধক উদ্ধাৰ কৰি আনিবগৈ।

যুধিষ্ঠিৰ।—(অস্থিৰ হৈ) অহঃ। কোৱাঁ অৰ্জ্জুন, আদ্যোপান্ত ভাঙ্গি কোৱাঁ মোক। নকৰবাঁ পলম।

দ্ৰৌপদী। অনতিপলমে কওক ভাঙ্গি, কিবা কথা, কিবা বাৰ্ত্তা। ক'ত কন্যাপুৰ? কিৰূপে অনিৰুদ্ধ বন্দী হ'লগৈ তাত? কোনে হৰি নিলেহি কুমাৰক?

অৰ্জ্জুন।--সেই দিনা আচম্বিতে আহি ৰুক্মিণীদেৱীয়ে শ্ৰীকৃষ্ণদেৱক উপপ্লব্যৰপৰাততাতৈয়াকৈ লৈ যোৱাৰ

বিষয়ে আমাৰ জনা আছে। তাৰ পাচত, নিৰুদ্দেশ কৃষ্ণনাতি অনিৰুদ্ধ কুমাৰৰ সন্ধান পোৱা গ'ল। কামৰূপৰ কোনোৱা মায়াবিনীয়ে আহি কুমাৰক হৰণ কৰি নিলেহি। নি কন্যাপুৰৰ ৰজা বাণাসুৰৰ জীয়াৰী অনুপমা ৰূপহী উষাদেৱীক অৰ্পণ কৰিলেগৈ। তাতে, সেই উষানাম্নী কুমাৰীৰে সৈতে অনিৰুদ্ধ কুমাৰৰ গান্ধৰ্ব্ব বিবাহ হৈ গ'ল। কিন্তু, সেই কাৰ্য্য বাণৰজাৰ অজ্ঞাতসাৰে সম্পাদিত হৈছিল, গতিকে তেওঁ কুমাৰক কন্যাপুৰতে মায়া-যুদ্ধেৰে পৰাস্ত কৰি বন্দীকৈ ৰাখিছে। এতিয়া, সৰ্ব্বজান স্বৰূপ শ্ৰীকৃষ্ণদেৱৰ সন্ধান মতে, আৰু ইতিমধ্যত দেৱৰ্ষি নাৰদৰ বাৰ্ত্তা অনুযায়ী, কুমাৰক তাৰপৰা উদ্ধাৰ কৰি আনিবলৈ যাদৱবাহিনীৰে সৈতে ৰণযাত্ৰাৰ অৰ্থে স্বয়ং শ্ৰীহৰি দ্বাৰকেশ্বৰ সষ্টম হৈছেগৈ। সেই আলমতে এতিয়া শ্ৰীকৃষ্ণৰূপী হৰি আৰু বাণৰূপী হৰৰ মাজত এখন অভাবনীয় হৰি-হৰ যুদ্ধ সংঘটিত হ'বৰ আগন্তুক হৈছে।

যুধিষ্ঠিৰ। (শোকবিহ্বল হৈ) অহ, মোৰ কৃষ্ণ অকলশৰে! অতদূৰৈত পৰৰ ৰাজ্যত! হৰ হেন শত্ৰুৰ মুখত! হাঁয়, কি মোৰ দুৰাদৃষ্ট! কেশৱে কিবা ভাবি, তেওঁৰ অবিচ্ছেদ্য সঙ্গী ভীমাৰ্জ্জুনক এই যাত্ৰাত অগ্ৰাহ্য কৰি এৰি গ'ল!

দ্ৰৌপদী।--অগ্ৰাহ্য কৰাৰ অৰ্থ আছে। ভীমাৰ্জ্জুনৰ চৰিত্ৰত যি হীনবলতাৰ পৰিচয় পোৱা গৈছে, তালৈ চাই আগন্তুক হৰি-হৰ মহাৰণলৈ সিবিলাকক লগত নিনিয়াটো মঙ্গলজনক হে হৈছে। সেই ভাবিয়েই অন্তৰ্য্যামী হৰিয়ে ইবিলাকক এৰি অকলশৰে গৈছে।

অৰ্জ্জুন।—অকলশৰে নহয়। লগত স্বয়ং হৰহেন অগ্ৰজ বলৰাম, মহাবাহু পুত্ৰ প্ৰদ্যুম্ন কোঁৱৰ, মহাৰথ সেনাপতি সাত্যকি, অনিৰ্ব্বাহ্য আগৰণুৱা সুপৰ্ণ, সুদৃঢ় গুৰিধৰা সেনানায়ক অনাধৃষ্টি প্ৰমুখো কেইবাজনো বিচক্ষণীয়া যাদৱ বীৰ যাবলৈ প্ৰস্তুত হৈছে। তথাপি, সখি শ্ৰীকৃষ্ণই আমাকো লগত নিয়া হলে ভাল আছিল; অন্ততঃ মই যাবলৈ পোৱা হলেও কুমাৰহৰণ প্ৰত্যাখ্যান কৰাৰ ছেগতে মোৰ গাণ্ডীবধাৰণৰ সাৰ্থকতা সাধি আহিবগৈ পাৰিলোঁহেঁতেন। বাণৰাজ্যত মই পদাৰ্পণ কৰাগৈ নাই যদিও, তাৰ মহাপ্ৰতাপী ৰাজ-ক্ষমতাৰ বিষয় মোৰ অবিদিত নহয়। মোতকৈও অগ্ৰজ ভীমসেনে সেই অঞ্চলৰ বিষয়ে বেছিকৈ জানে; কিয়নো, তেওঁ তাৰ সন্নিকটৰ হিড়িম্বা ৰাজ্যত বহুদিন বাস কৰিছিল।

দ্ৰৌপদী।—মানোঁ, মহাবলী মহাতেজী ভীষ্মপ্ৰতিজ্ঞ ভীমসেন যাবলৈ পোৱা হলে, অৱশ্যে মহাগুৰু মাধৱৰ যৎকিঞ্চিত উপকাৰ হ'লহেঁতেন; কিন্তু আজিৰ নিজ্জীৱপ্ৰাণ পাৰ্থ যোৱা হলে, অনিৰুদ্ধ উদ্ধাৰত কেশৱৰ কিবা লাভ হ'লহেঁতেন বুলি মোৰ বিশ্বাস নহয়। কুৰুক্ষেত্ৰ ৰণৰপৰা অব্যাহতি পাবৰ অৰ্থে তেওঁ সন্ধিৰ প্ৰস্তাৱ সমৰ্থন কৰা উদাহৰণেই তাৰ বিশিষ্ট প্ৰমাণ।

অৰ্জ্জুন।—কিবা কোৱা কৃষ্ণা! মোৰ বীৰত্বৰ প্ৰতি তোমাৰ ইমান অৱজ্ঞা! যি গাণ্ডীবৰ টঙ্কাৰত ত্ৰিভুৱন বিকম্পিত, সেই ধনুশ্ৰেষ্ঠ গাণ্ডীবলৈ তোমাৰ ইমান অশ্ৰদ্ধা! যি ধনুৰ্বিদ্যাৰ গুণত অদ্ভুত মৎস্যচক্ৰ ভেদ কৰি মই তোমাৰ পিতৃৰাজৰ অসম্ভৱ পণ সম্ভৱ কৰিলোঁ, সেই ধনুৰ্ব্বাণৰ গুণ ইমান সোনকালে পাহৰিলা! মই যোৱা হলে উলটি বাণ-ৰজা বন্দী হৈ অনিৰুদ্ধ কুমাৰ অনায়াসে মুক্ত হ'লহেঁতেন বুলি তোমাৰ ধাৰণা নহয় নে?

দ্ৰৌপদী।—গাণ্ডীৱৰ মাহাত্ম্য বিষয়ে লেশমানো মই বিস্মৃত হোৱা নাই; বৰঞ্চ সেই মহাধনুৰ্ধাৰী হৈ আপুনি অনেক অসম্ভৱ কাৰ্য্য সম্ভৱ কৰা বিষয় মোৰ মনত তেজা হৈ ৰৈছে। হে ধনঞ্জয়! কুবেৰক জিনি ৰত্ন সঞ্চয় কৰি ধনঞ্জয় নাম প্ৰাপ্তিৰ বিষয়ো মোৰ স্মৰণ আছে। কিন্তু, হে ধনুৰ্ব্বীৰ! আজি সেই গুণবলে আপোনাক এৰা দিছে;

নতু, কুৰুক্ষেত্ৰ-ৰণলৈ ভবাই আপুনি সন্ধিৰ প্ৰস্তাৱত সন্মতি নিদেলেহেঁতেন।

অৰ্জ্জুন।—অহঃ, কি আছে উত্তৰ! হে কৃষ্ণা! হে যাজ্ঞসেনি! হে নিৰুপমা বীৰাঙ্গনা! তোমাৰ ওজস্বিনী বীৰত্ব বাণীয়ে মোৰ বীৰত্ব প্ৰদৰ্শন নিষ্প্ৰভ কৰি পেলাইছে। হে বীৰকন্যা! ধন্যা তুমি! তোমাৰ এই তেজোময় আদৰ্শে জগতত যুগে-যুগে নাৰী-জাগৰণৰ উদ্দীপনা দান কৰিব।

দ্ৰৌপদী।—সি যি হওক, (যুধিষ্ঠিৰৰ প্ৰতি) হে ধৰ্ম্মৰাজ! শ্ৰীহৰি শ্ৰীকৃষ্ণৰ লগৰীয়া হৈ ভীমাৰ্জ্জুন অনিৰুদ্ধ উদ্ধাৰলৈ যাবলৈ নোপোৱাটো একো আক্ষেপৰ বিষয় হোৱা নাই। কিয়নো, ই যদুসিংহ বাসুদেৱৰ ইচ্ছাকৃত কাৰ্য্য। কুমাৰ-হৰণ প্ৰত্যাখ্যান কৰোৱা কাৰ্য্য যাদৱৰ, পাণ্ডৱৰ নহয়। এই কাৰ্য্যত অপৰৰ সাহায্য গ্ৰহণ কৰিলে, সুপ্ৰখ্যাত বৃষ্ণি-কুলৰ অখ্যাতি আহিব পাৰে, গতিকে সুদূৰদৰ্শী ৰণপণ্ডিত অসাধাৰণ ৰাজনৈতিক মহাপুৰুষ মাধৱে নিশ্চয় গভীৰ গৱেষণাৰ ওপৰত হে গাৰ ছাঁ যেন ভীমাৰ্জ্জুনৰ সঙ্গ নিবিচৰাকৈ সুদূৰ মায়াভূমি কামৰূপৰ অন্তৰ্গত কন্যাপুৰত দুৰ্জ্জয় দানৱৰাজ বাণ মহাসুৰৰে সৈতে অভাৱনীয় হৰি-হৰ ৰণ সদৃশ্ মহাৰণ পাতি তেওঁৰ প্ৰাণপ্ৰতিম নাতি-কোঁৱৰ প্ৰদ্যুম্ননন্দন কন্দৰ্পতনু অনিৰুদ্ধক উদ্ধাৰ কৰি আনিবলৈ গৈছে। অদ্ভুত বীৰকেশৰী কেশৱৰ উদ্দেশ্য যে সিদ্ধি হ'ব, তাত ধনিষ্ঠামানো সন্দেহ নাই। এতেকে, আপোনালোক চিন্তিত হোৱাৰ সকাম নাই। আহক, আমি শিবিৰলৈ উলটি গৈ কুৰুক্ষেত্ৰ মহাৰণ ৰচোঁতা শ্ৰীকৃষ্ণৰ অনুপস্থিতিত পাণ্ডৱৰ কি কৰা যুগুত সেই বিষয়ে পৰ্য্যালোচনা কৰোঁগৈ।

যুধিষ্ঠিৰ।—ধন্যা তুমি! ধন্যা দ্ৰুপদনন্দিনী। তোমাৰ ওজস্বিনী আশ্বাসত বিশ্বাস কৰি সম্প্ৰতিকলৈ নিশ্চিন্ত হলোঁ। কৃষ্ণৰ অবিহনে তুমি কৃষ্ণা আজি আমাৰ ৰণ-মন্ত্ৰণাদাতৃ। বলা যাওঁ, শিবিৰত তোমাৰ প্ৰস্তাৱিত পৰ্য্যালোচনাত ধৰোঁগৈ।

(তিনিওৰো প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

দৃশ্য,—উষা-অন্তঃপুৰ

(উষাদেৱী আৰু অনিৰুদ্ধ কুমাৰ)

অনিৰুদ্ধ। (ক্ষত-বিক্ষত শৰীৰ) নহ'বা অধীৰা প্ৰিয়া! নকৰিবা খেদ। হোৱা নাই ক্লান্ত মই অল্পেকো প্ৰমাণে। পাৰিলোঁহেঁতেন আৰু যুঁজিব বিস্তৰ।

উষা। (কান্দি কান্দি) দেহি ঐ। সুকোমল শৰীৰত সুকঠিন অস্ত্ৰাঘাত, অথালি-পথালিকৈ! তেজেৰে ৰাঙলী দেহা!

অনিৰুদ্ধ।—প্ৰিয়া!

উষা।—নাথ!

অনিৰুদ্ধ।—বীৰকন্যা তুমি। বীৰজায়া বৰ্ত্তমানে। কিয় হোৱা সকাতৰা ৰণ-ৰক্ত দেখি?

উষা।—হায়, অত তেজ! অ'ত-ত'ত সৰ্ব্বশৰীৰত! কোন্‌মতে থাকোঁ চাই! অভাগিনী মই, অযাচিতে হলোঁ তাৰ নিদান-কাৰণ!

অনিৰুদ্ধ।—তুমি ভুল বুজিছা প্ৰিয়া! তুমি নহয়, প্ৰকৃতপক্ষে মই হে তাৰ মূলকাৰণ। আৰু, মোৰ জন্মই হৈছে তাৰ নিদান-কাৰণ। ক্ষত্ৰিয়-সন্তান মই,—বিনা অস্ত্ৰাঘাতে বিনা-ৰক্তপাতে মোৰ এই দেহা অলঙ্কৃত হ'ব কিহেৰে? দেখিছা যিবোৰ ক্ষত-বিক্ষত অস্ত্ৰাঘাতৰ চিন্, সেই আটাইবোৰ মোৰ দেহাৰ অলঙ্কাৰ। দেখিছা যে ৰক্তবিন্দু বৈ পৰা এই শৰীৰত, সেইবোৰ মোৰ ৰণতেজ বিৰিঙিছে ঘামপ্ৰায়। শ্ৰম কৰি ঘাম উলিয়াব পাৰিলে গা যি দৰে চেঁচা পৰে, ৰণ কৰি শৰীৰত ৰক্তবিন্দু উলিয়াব পাৰিলেও সেইদৰে অন্তৰৰ ৰণতাপ শাত হয়। হেৰা প্ৰিয়তমা! পৰিধেয়

[illegible]ৰে যি দৰে তোমাৰ জগন্মোহিনী ৰতিদেহাৰ সৌন্দৰ্য্য চৰাইছে, মোৰ শৰীৰত এইবোৰ ৰণা-ঙ্কাৰেও সেইদৰে মোৰ আত্মবলবীৰ্য্য আৰু কুল-গৌৰৱৰ জেউতি বঢাইছে।—মিছা জানো ?

উষা।—(কুমাৰৰ গাৰ তেজ মচি মচি) সঁচা প্ৰাণেশ্বৰ! তথাপি নামানে মনে ; বুজিও নুবুজে প্ৰাণে!

অনিৰুদ্ধ।—লাগিব মানিব , লাগিব বুজিব। ইমানলৈকে আৰম্ভণ মাথোন। মোৰ কৃতকৰ্ম্মৰ প্ৰতিশোধ দিবলৈ বুলি তোমাৰ দুৰ্জ্জয় পিতৃৰাজ সসৈন্যে আহিব লাগিছে। অনতিপলমে দেখিবা এক তুমুল সংগ্ৰাম। দেখিবা প্ৰত্যক্ষে এই দেহা কঠিন কিমান।

উষা।—সেই হে কান্দিছে প্ৰাণে! প্ৰাণেশ্বৰ! জানোঁ মই বিক্ৰম আপোনাৰ। জানোঁ আৰু ৰণলিপ্সা ৰণপ্ৰিয় পিতৃৰাজৰ। ৰণতৃষ্ণাত পিতৃ বলিনন্দনৰ জিভা লক্‌লকাব লাগিছে। নহলে হেনো সহস্ৰভুজ পৰিমিত তেওঁৰ বলবীৰ্য্য তেওঁ সহিব নোৱাৰাত পৰিছে। সেই কাৰণে তেওঁ সমকক্ষ বীৰযোদ্ধা বিচাৰি খলক্ লগাইছে। হাঁয়! প্ৰিয়তম মোৰ! পিতৃৰাজৰ সেই আক্ৰোশ যদি আপোনাৰ ওপৰত পৰেহি, কেনেকৈ সহিম মই!

(নেপথ্যত ৰণবাদ্য, ৰণ-নিৰ্দ্দেশসূচক হিলৈৰ আৱাজ, ৰণুৱা আগমনৰ পদশব্দ, বৈ বৈ বাণৰাজৰ নামে জয়ধ্বনি)

অনিৰুদ্ধ।—এই পালেহি! আগন্তুক সংগ্ৰাম লাগিব এতিয়া। আঁতৰা, আঁতৰা প্ৰিয়া! ৰণস্থলত নিৰস্ত্ৰা ৰমণীৰ উপস্থিতি অবাঞ্ছনীয়। নিলগৰপৰা চাই থাকাঁগৈ।

(সসৈন্যে বাণ ৰজাৰ প্ৰৱেশ)

বাণ।—(বাঘ সদৃশে গুজৰি) ক'ৰপৰা চোৰ হৈ সোমালহি চপনীয়া চিকা! গোন্ধোৰাব লগা হ'ল আজি চিকা মাৰি হাত!

অনিৰুদ্ধ।—(চোচা লৈ) ই কি! অশিষ্ট বচন! দেখোঁ, আহাঁ, চিকা কোন্, কোনে কৰে অনধিকাৰ প্ৰৱেশ। নকৰোঁ পলম, তুৰন্তে পঠাওঁ আজ্ঞা যমপুৰলৈ, যেয়ে হোৱা তুমি।

(বাণ আৰু অনিৰুদ্ধ সন্মুখসংগ্ৰামলৈ সচেষ্ট হয়)

উষা।—(বাউলী হৈ লৰি গৈ বাণ ৰজাৰ ভৰিত পৰি) পিতা! পিতা! ৰক্ষা কৰা পিতা!

বাণ।—(প্ৰজ্বলিত হৈ) ৰক্ষা! কাক ৰক্ষা? চোৰক ৰক্ষা কৰা ৰজাৰ ধৰ্ম্ম নহয়।

উষা।—নোহে চোৰ, স্বামী মোৰ। ৰাখাঁ মোৰ প্ৰাণ, ৰাখি স্বামী প্ৰাণ। প্ৰাণদান দিয়াঁ মোক পিতা!

বাণ।—(দাঁত কৰচি) স্বামী তোৰ? ধৰ্ষিতা জীয়াৰী মোৰ! কি মতে লভিলি স্বামী তই বিনা-সম্প্ৰদানে? গুপ্ত-প্ৰণয়ত স্বামীবৰণ হ'ব নোৱাৰে, মই অদ্যাপি কাকো মোৰ জীয়াৰীক সম্প্ৰদান দিয়া নাই। এতেকে, সি নিশ্চয়ে চোৰ। নবধিলে তাক নহ'ব মোৰ কুলোদ্ধাৰ। অহঃ! দানৱকুলৰ দেৱতা-মানিত মান-মৰ্য্যাদা, নাম-যশস্যা আজি তোৰ গুপ্ত পাপ কাৰ্য্যে কলুষিত কৰিলে!

উষা।—পিতা মোক ধৰ্ষিতা দোষত দূষিত নকৰিব। মই ধৰ্ষিতা নহওঁ। মোৰ এই স্বামী লাভ দেৱীদত্ত। ই গুপ্ত প্ৰণয়ৰ ফল নহয়। মই গান্ধৰ্ব্ব প্ৰথাৰে তেওঁৰে সৈতে বিধিৱত বিবাহিতা। মই নিশ্চয় বিবাহিতা। এই বিবাহে আপোনাৰ সম্প্ৰদানৰ পুণ্যলাভলৈকো বাট মৰা নাই ; ইয়াৰ পাছতো আপুনি সেই শুভকাৰ্য্য সম্প্ৰদান কৰিবলৈ পন্থা মুকলি হৈ ৰৈছে।

বাণ।—ওঁ-হুঁ, নহ'ব সি শুভকাৰ্য্য। আগেয়ে মোৰ পিতৃ-কুলৰ মান-মৰ্য্যাদা হানি কৰি মই সেই কলুষিত পুণ্যলাভ নিবিচাৰোঁ।

উষা।—হে পিতা! তেওঁৰ সম্বন্ধই আমাৰ পিতৃকুলৰ মান-মৰ্য্যাদা বঢাইছে হে, হানি কৰা নাই। মোৰ স্বামী সামান্য কুলৰ সাধাৰণ লোক নহয় ; তেওঁ যাদবেশ্বৰ ভগবান শ্ৰীকৃষ্ণৰ নাতি, মহাৰথ প্ৰদ্যুম্ন কোঁৱৰৰ বৰপুত্ৰ। আৰু এটা কথা গমি চাওক,

পিতা, তেওঁ এতিয়া আপোনাৰ অবধ্য, কাৰণ, জোঁৱাই-বধ শাস্ত্ৰনিষিদ্ধ।

বাণ।—(চতুৰ্গুণে গৰ্জ্জি উঠি) ওঁ-হুঁঃ! চোৰ কদাপি মোৰ জোঁৱাই হ'ব নোৱাৰে। চৌৰবৃত্তি মই অতিকৈ ঘিণ কৰোঁ। মোৰ অজ্ঞাতে হোৱা গান্ধৰ্ব্ব বিবাহো মই গ্ৰাহ্য নকৰোঁ। এই চপনীয়া চোৰ নিশ্চয় মোৰ বধ্য। এই নৰাধমক বধ কৰিলে মোৰ পাপ নহ'ব, যশস্যা হে বাঢ়িব। যাদৱ কুল! সি কি এটা নগণ্য কুল! মোৰ পিতৃকুলৰ লগত কি তাৰ তুলনা হ'ব পাৰে? আৰু, ভগবান? ছিঃ! যি আজন্ম পলৰীয়া, যি পলৰীয়াই জৰাসন্ধৰ ভয়ত সাগৰৰ গৰ্ভত ঠাই লৈছেগৈ, সেই নন্দ গোপৰ গৰখীয়া ল'ৰা কৃষ্ণক ভগবান বোলাটো উন্মাদিনীৰ প্ৰলাপ মাথোন।

অনিৰুদ্ধ।—(সিংহ গৰ্জ্জনেৰে জাপত আগবাঢ়ি) ওঁ! কি কোৱাঁ, দুৰাচাৰী দানৱ! মোৰ সাক্ষাতে মোৰ পিতামহ ভগবান শ্ৰীকৃষ্ণৰ নিন্দা! মোৰ নিষ্কলঙ্ক কুলগৌৰৱৰ অপযশ ৰটনা মোৰ কাণত! আৰু মোৰ সহ্য নহয়। (বাণৰ প্ৰতি) থোৱাঁ অস্ত্ৰ, নিৰস্ত্ৰ মই। আহাঁ দিওঁ মল্লযুদ্ধ। চাওঁ, কাক বধে কোনে!—

(ৰণোন্মত্ত অনিৰুদ্ধই সিংহগৰ্জ্জনেৰে জঁপিয়াই বাণৰ ওপৰত পৰেগৈ, বাঘগৰ্জ্জনেৰে বাণে উলটি ধৰে, দুইৰো মাজত মল্লযুদ্ধ, বাণ ক্ৰমাৎ হুঁহকি পৰে, অনিৰুদ্ধই ঠেলি নি বাজ কৰে, ৰাজসেনা-বৰ্গে ৰজাৰ সাহায্যাৰ্থে আগ বাঢ়ে, ক্ৰমাৎ সকলোটি অন্তৰ্হিত হয়)

উষা।—হাঁ, মোৰ কপাল! কি জানো কি হয় আজি!

(উন্মাদিনীৰ দৰে লৰি প্ৰস্থান)

(বাণ ৰজা আৰু কুম্ভাণ্ড মন্ত্ৰীৰ প্ৰবেশ)

কুম্ভাণ্ড।—মহাৰাজ! দেখিলে কি অদ্ভুত বীৰ! মই আদিতে যি আভাস দিছিলোঁ, সেই কথা এতিয়া পতিয়াৱলৈ পলম নহ'ব বোধ কৰোঁ।

বাণ।—মন্ত্ৰী! বাস্তৱতে সামান্য বীৰ নহয় ইজন। মোৰ সহস্ৰ ভুজবল অৰ্দ্ধেকতকৈও অধিক প্ৰয়োগ কৰা গৈছিল, তথাপি এই বীৰ শত্ৰুক হটাব নোৱাৰিলোঁ। বৰঞ্চ, তেওঁৰ প্ৰচণ্ড বেগ চম্ভালিব নোৱাৰি মই হে হুঁহকি পৰিব লগা হ'ল! যি হওক, মোৰ অৰ্দ্ধেকাধিক বল প্ৰয়োগ বৃথাই যোৱা নাই, সেই পৰিমাণে মোৰ ৰণতৃষ্ণাও পৰিতৃপ্ত হ'ল। ধন্য মোৰ তপস্যা! ধন্য মোৰ আকাঙ্ক্ষা! ধন্য মোৰ বৰলাভ! এতিয়া বাকী অৰ্দ্ধেক তৃষ্ণা পূৰ্ণ হেতু পুনৰপি সষ্টম হওঁ। এই ছেগতে, কন্যাপুৰত চৌৰবৃত্তিৰে প্ৰৱেশ কৰা এই বীৰ শত্ৰুক নিধন কৰি মোৰ মনোৰথ পূৰ্ণ কৰোঁ।

কুম্ভাণ্ড।—অন্য যি কি নকৰক, মহাৰাজ, আপুনি সেই চৌৰবৃত্তিধাৰী বীৰক বধ কৰিব নোৱাৰে, তেওঁ আপোনাৰ অবধ্য, কাৰণ তেওঁ আপোনাৰ জোঁৱাই। আপোনাৰ সাধ্বী সতী জীয়াৰী উষাদেৱীৰ সেই বিষয়ক উক্তিৰ শবদে শবদে যুক্তি আছে, মই মাথোন তাকে সভক্তিৰে সমৰ্থন কৰোঁ।

বাণ।—কিবা কোৱাঁ মন্ত্ৰী! এই অদ্ভুত অমিততেজী দুৰ্দান্ত বালক বীৰক বধ নকৰিলে যে মোৰ ৰণতৃষ্ণা সম্পূৰ্ণে পৰিতৃপ্ত নহ'ব।

কুম্ভাণ্ড।-হে ৰাজন্! আপোনাৰ ৰণতৃষ্ণা ইমানতে এই ৰণতে পৰিপূৰিত নহ'ব বুলি আগতে আভাস দি আহিছোঁ। এইজন আগৰণুৱা মাথোন, আপোনাৰ সমকক্ষ আচল ৰণুৱা ইয়াৰ পাছত যথাসময়ত ওলাবহি। তেতিয়া হে আপোনাৰ মনোৰথ সম্পূৰ্ণকৈ পূৰ্ণ হ'ব।

বাণ।—এতিয়া তেন্তে কি কৰা উচিত? এই বালক বীৰক এই ভাগেই এৰি গলে কিন্তু পৰাজয় স্বীকাৰ কৰাৰ তুল্য হ'ব বুলি আশঙ্কা হয়।

কুম্ভাণ্ড।—এতিয়া আমি আচলথন ৰণৰ উদ্দেশে সষ্টম হোৱা হে উচিত। আৰু, মোৰ মনেৰে, সম্প্ৰতি উপস্থিত ৰণত আপোনাৰ অৱশিষ্ট বল-বীৰ্য্য আৰু অস্ত্ৰ-শস্ত্ৰ সমুদায় নিয়োগ নকৰি, মাথোন মায়া-

অস্ত্র নাগপাশৰে সৈতে এই অদ্ভুত বীৰ বালক যোদ্ধাক বান্ধি বন্দী কৰি ৰাখিবলৈ চাব লাগে।

(উত্তৰাল অনিৰুদ্ধৰ পুনঃ প্ৰৱেশ)

অনিৰুদ্ধ।—নপলাবাঁ আপ-বীৰ! নাই আজি এৰণ তোমাৰ। পাবাঁ যদি, লোৱাঁ অস্ত্র ঘূৰিবাৰ। লইছোঁ যুগুত কৰি ময়ো এক অস্ত্র তোমাৰ কোষৰে পৰা। যুঁজি চোৱাঁ, যতক্ষণ নপঠাওঁ আজি যমপুৰী। বুজি লবাঁ, কিবা বৃত্তি মোৰ,—চৌৰবৃত্তি নে আক্ৰমণৰীতি। এতিক্ষণে পাবাঁ তাৰ প্ৰত্যক্ষ প্ৰমাণ।

বাণ —(বাঘ-গোজৰ্ৰ্ণৰে) হুঁ! কিবা কোৱাঁ দুৰ্ম্মতি বালক! অল্পমতি নাবালক বুলি-ক্ষমিলোঁ অতক্ষণ। নকৰোঁ আৰু ক্ষমা। দেৱদেৱ হৰমহেশ্বৰ আৰু মহাত্মা স্কন্দৰ প্ৰসাদত মই কি অজেয় ক্ষমতা লাভ কৰি থৈছোঁ, সি বিদিত নাই বুলিহে তোমাৰ ইমান আস্ফালন। সৃষ্টিসংহাৰক ৰুদ্ৰেশ্বৰৰ কৃপাত যে মই দেৱীৰ পুত্ৰত্ব লাভ কৰি, কুমাৰ কাৰ্ত্তিকেয়ৰ কনিষ্ঠতা প্ৰাপ্ত হৈছোঁ, সেই বিষয়ে তুমি অজ্ঞাত; নতু, জ্বলন্ত প্ৰদীপশিখাত জাঁপ দি পৰি যাবলৈ এইদৰে উদ্দীপ্ত নহ'লাহেঁতেন।

অনিৰুদ্ধ।—হেৰা আপ-ৰাজ! যি প্ৰকৃত বীৰ, তেওঁ নিজৰ বীৰত্ব নিজে ব্যাখ্যান নকৰে। আৰু, যি আচল বংশ-গৌৰৱৰ অধিকাৰী, তেওঁ তাকে যহাই গওপ্ নামাৰে।

বাণ।—ওঁ, তুমি নাজানাঁ, মোৰ নামত আজি স্বৰ্গৰ সুৰ-পতিও কম্পমান্। তোমাৰ অবিদিত, আজি বৈকুণ্ঠৰ সমিতিঞ্জয় দেৱ-নাৰায়ণো মোৰ নাম-ভয়ত ত্ৰাস্তমান্। সেই হে,—অল্পমতি বালক তুমি,—ৰাঘৰ আগত ছাগে ইমান ডেৱাডেৰি কৰিছাঁ! তোমাৰ অদ্যাপি জানিবলৈ বাকী, মই বিষ্ণু-অৰি বলিনন্দন বুলি; নতু, তুমি সামান্য নন্দনন্দন কৃষ্ণ-নাতি হৈ, সিংহৰ আগত শহাৰ ভাবুকি নেদেখুৱালাহেঁতেন। নিতান্ত শিশু বুলি, তোমাৰ উদ্ধতালি ইমান পৰ সহিলোঁ; আৰু সহন নাযায়।

অনিৰুদ্ধ।—হেৰা দানৱৰাজ! আমি যে বাহুযুদ্ধত প্ৰবৃত্ত; ই বাকযুদ্ধ নহয়। আৰু বৃথা বাক্যব্যয়ৰ প্ৰয়োজন নাই। ধৰাঁ পন্থা, জানা যদি, দ্বৈৰথ ৰণৰ।—

(বাণ-অনিৰুদ্ধৰ মাজত দ্বৈৰথ ৰণ; কুমাৰ নাগ-পাশবদ্ধ)

বাণ।—(ভীষণ গৰ্জ্জনেৰে) বন্দী হ'ল অনিৰুদ্ধ। নাই পৰিত্ৰাণ, নিদিওঁ যদ্যপি দ্বিতীয় আদেশ।

অনিৰুদ্ধ।—ছিঃ ছিঃ বাণাসুৰ! ই যে মায়াযুদ্ধ! নাই আত পুৰুষালি; আৰ্জ্জিলাঁ অখ্যাতি!

(ব্যঙ্গ-হাঁহি মাৰি কুম্ভাণ্ডৰে সৈতে বাণৰাজ বাহিৰ হৈ যায়; আনফালে বন্দীপালে অনিৰুদ্ধক বন্দী-শাললৈ নিয়ে)

তৃতীয় গৰ্ভাঙ্ক

দৃশ্য,—গড়খাবৈদাঁতীয়া বাট

(দুফালৰপৰা দুটা পলৰীয়া ৰণুৱাৰ প্ৰৱেশ)

১ম।—(হেবাথুৰি খাই, এফালৰপৰা) উঃ! উঃ! হৰি-হৰ বান্ধৱ! ৰইথা, ৰইথা, ৰইথা পৰিলোঁ বুপাই!

২য়।—(উধাতু খাই, আনফালৰপৰা) আই ঔ! ইটো বা কোন্?—ই মোক পলৰীয়া বুলি জানিছে নে কি?—(খন্তেক ৰ-লাগি চাই) অ, নহয়, দেদাইটি হে। মই বোলোঁ কোনোবা হ'ব পায়। বোলোঁ, কলৈ যোৱাঁ দেদাইটি? হ'ল কি, হেবাথুৰি খাই আহিছাচোন?

১ম।—এ, হুমুধিবি। নোৱাৰি ক'ব কুটুম! আতিকে গুপুত কথা। জীৱ-যোৱা-থকা লেঠা!

২য়।—এ, ৰাম! কোৱাচোঁ, কোৱাচোঁ; মই কিবা কাৰোবাৰ আগত ক'বলৈ যাম নে?

১ম।—বাৰু, কাকো নকৱ যদি, কওঁ শুন্।—মই পলৰীয়া ৰণুৱা। এতিয়া, পাৰোঁ যদি, পিচে-পিচে খেদি গৈ সোৱা লগ ধৰিবলৈ আহিছোঁ। তই যাৱ কলৈ? বৰকৈ উধাতু খাই আহিছ দেখোন?

২য়।—এ, ময়ো। দেদাইটি, ময়ো পলৰীয়া। পলাই এইতে ফিৰিঙ্গতি ওফৰাদি উফৰি আহিছোঁ।

তইচোন আক' লগ লবই হে লবিছ? কিনো ওলটা কথা! মোৰ দৰে লগ এৰাই পলাওঁতাক হে পলৰীয়া বোলে। কিনো অৰ্থ ভাঙ্গি কচোন, দেদাই!

১ম।—এঃ, বালক! কলে কথা ওলাই হে যায়! নকবি বাৰু কাৰো আগত; কওঁ শুন্,—

২য়।—ঐ গোসাঁই! নকওঁ বুলিলেও নপতিয়ায়! হেৰ, মহাভৈৰৱলৈ ধিয়াই শপত খাই কৈছোঁ, বোলোঁ কাৰো আগত নকওঁ, ক।

১ম।—বাৰু, বাৰু, শুন্ তেন্তে। বুইছ, ৰণ দিবলৈ যাওঁতেই মই আদবাটৰেপৰা পলালোঁ। পলাই একেলৰে সিজনীৰ ওচৰ পালোঁগৈ। সিজনীৰ বুধিমতে আমাৰ ধানৰ মেৰটোতে ডিঙ্গিৰ গুৰি-লৈকে গাটো পুতি মূৰত ধানখেৰ এসোপা লৈ লুকাই থাকিলোঁ। সিজনীয়ে বাহিৰৰ দুৱাৰদলিত বহি সূতলাহি পকাবলৈ ধৰিলে।

২য়।—পিচে, তাৰ পাচত?

১ম।—পাচত, ইয়ে মাতি যায়, "কেৰকণ কাই আছ নে?"—ইজনীয়ে হুমুনিয়াহ কাটি কয়, "এ, নাই, বুপাই, ৰণলৈ গৈছে।" সিয়ে মাতেহি, "অ, বৰপাই আছ নে?"—ইজনীয়ে মাত লগায়, "এ, নাই ঘৰত, ৰণত পৰিলগৈয়ে নে কি, ঠিক নাই, বুপাই!" এইদৰে কেবা যোৱাকো পাৰ কৰি মোক ৰইথা কৰিলে! কিনো কম, মোৰ সিজনীৰ গুণৰ কথা!

২য়।—ওঁ, হয়তো, বৰ চলাহী তিৰোতা!

১ম।—সৌৱা ৰজাৰ ৰণুৱাজাক উলটিছে। এই ছেগতে লৰি গৈ লগ ধৰিবলৈ ওলাই আহিছোঁ।

২য়।—বাৰু, ৰবি এতিয়া। ললোঁ জুকিয়াই আটাইখিনি কথা। তাৰে সৈতে তোৰ ডিঙ্গিত ফাঁচ এডালো লগালোঁ। জানি লবি, তাহানিৰ উপকাৰৰ ধাৰ শুজিম এতিয়া!

১ম।—(ডিঙ্গিত খেপিয়াই) ইঃ, ক'তা? নাইচোন? কথাৰে নো ফাঁচ লগাব পাৰিনে!

২য়।—ওঁ, পাৰি তো। এতিয়াই তই মোক কথা দি কথাৰে বান্ধ খালি নহয়? সেই কথা ৰজাৰ আগত জনালেই তোৰ ফালে পতং! এইডাল ফাঁচ নহ'ল জানো?

১ম।—হওঁতে হয়। ইও একৰকম ফাঁচেই হে হয়! বুপাই হেৰেই, তই কাকো নকওঁ বোলাত হে কৈছিলোঁ।

২য়। -কওঁতে খেমেকা নকৈছোঁ এথোন। পিচে, শত্ৰু-শালিৰৰ বেলিকা হলে কৈ দিম, জানি থবি।

১ম। অ, তোৰ এনেবোৰ হে কথা! হেৰ, মইনো তোৰ কোন্‌টো পানীখোৱা পুখুৰীত বিহ ঢালিছিলোঁ, তাৰে যে শত্ৰুকশালিবি? মইচোন তোক একো কৰা নাই।

২য়।—কৰিছ। শুন চা! সেই যে, সেই দিনা? মোক তোৰ ঘৰত দুৱাৰ ডাং দি লৈ যে কিলাইছিলি, তোৰ জীয়েৰ ভদৰীত চোৰ পৰিছিলোঁ বুলি? সেইবোৰ পাহৰিছোঁ বুলি ভাবিছ হ'বলা?

১ম।—ঐ, বুপাই! সেইটো কথাতে নো লাগি আছ নে? সেইবোৰ গ'লা কথা, গুচিল। এৰি পেলা বুপাই!

২য়।—ওঁ, আছোঁ তো লাগি। যাওঁৰেই। সৌৱা, গৈ লগ ধৰি দিওঁগৈ কৈ। (যাবলৈ চোচা লয়)

১ম।—(কাওবাওকৈ) হেৰেই কাবৌটি কৰিছোঁ, নেযাবি, নকবিগৈ বুপাই ঐ! হেৰ, যি লাগে তাকে দিম। যি কৱ তাকে শুনিম। বহ বুলিলে বহিম, উঠ বুলিলে উঠিম। নকবি বুপাই!

২য়।—(থিয় হৈ থকা ১মৰ প্ৰতি) বাৰু, তেন্তে।—উঠ্।

১ম।—(চলিব নোৱাৰি বহি পৰে!)

২য়।—অ, এয়া হ'বলা উঠিলি?

১ম।—অ, নহয়, নহয়; মোৰ ভুল হ'ল বুপাই!

২য়।—বাৰু, এইবাৰলৈ এৰিলোঁ। (বহি থকা ভাগতে ১মৰ প্ৰতি) এই বেলি হুকুম মানিবি,—বহ্।

১ম।—(গিৰিপ্‌কৰে উঠি থিয় দিয়ে)

২য়।—আকৌ! এনা হবলা বহিলি? অ, তই বৰ মিছলীয়া মানুহ!

১ম।—(বিবুদ্ধি হৈ) এৰা! কিনো পাক লাগিল জানো! বহোঁ বুলি উঠোঁ, উঠোঁ বুলি বহোঁ! মোক আজি কিহবাই পালে বুপাই!

২য়।—বাৰু, এৰিছোঁ এই ছোৱা ইমানতে। আৰু, যি লাগে তাকে দিম বুলিছিলি নহয়? কি দিবি এতিয়া, ক।

১ম।—জানো তোক লাগে কি?

২য়।—লাগে কি,—তোৰ নিদিওঁ বোলা জীয়েৰক মোলৈ বিয়া দিব লাগে। দিবি নে নিদিয়, ক এতিয়া। নিদিয় যদি, আজি হলেও, কালি হলেও, যেতিয়াই হলেও, এই আটাইসোপা কথা ৰজাৰ কাণত পেলাই তোৰ ফালে আধ্যা পেলাম, জানিবি।

১ম।—(সেমেনাসেমেনিকৈ) ওঁ, এৰা, দিব লাগিবগৈ হব'লা। পিচে, এটা কথা। মোৰ একেটি ছোৱালী বুপাই! উলিয়াই দিবলৈ টান পাওঁ। ভাবি চাবি। বাৰু, ঘৰ-জোঁৱাই হ'বলৈ হলে নো কেনে দেখ?

২য়।—হওঁতে বৰ বেয়া নহ'ব। কিয়নো, নেদেখিছ দেদাইটি! মোৰো কেওঁ-কুছু নাই। সকতে ঘাটমাউৰা। আৰু, গমি চাবিচোন দেদাই, ছোৱালী ঘটা নিয়ম মুঠেই তিনিটা হে,--এটা ছোৱালী ধৰি নিয়া, আন এটা ছোৱালীত চপনীয়া-চপা, আৰু আন এটা ছোৱালীত চোৰ-পৰা। তাৰ পৰ্মাণ দিওঁ শুনিবি:—প্ৰথমতে ধৰ, ৰুকুণী-হৰণ, কৃষ্ণদেৱে ৰুকুণী দেৱীক ধৰি নিছিল। দুতীয়তে, ভীম চপনীয়া নহয় জানো? হিডিম্বাত ভীম চপনীয়া চপাৰ কথা তোৰ মুখেই শুনিছিলোঁ দেখোন। তিতীয়তে, হাতে-পুথি মঙ্গলবাৰ,—সোৱা এজন ছোৱালী-চোৰ ৰজাই বন্দী কৰি থৈ গৈছেহি। পিচে, দেখিবি, সেই চোৰেই জোঁৱাই হ'বগৈ, চাবি, বোলে সেই গেন্ধেলাটোৱে কি কৈছিল!

১ম।—হয়, বুপাই, হয়। আটাইখিনি সঁচা কথা। এৰা, তোৰো কেঁওঁ-কুছু নাইকিয়া, মোৰো একেজনী ছোৱালী। ঘৰ-জোঁৱাই হলে ভাল পাওঁ। মই বুঢ়া মানুহ। কেইদিন নো থাকিম। তইঁতৰে ঘৰ, তইঁতৰে দুৱাৰ, তইঁতৰে সকলো হব।

২য়।—বাৰু, তাতে সৈমান হৈছোঁ। পিচে, মানুহে চপনীয়া বুলি হাঁহে বা?

১ম।—এঃ, হাঁহিব নোৱাৰিছে। ইহাৰ দাঁত ওলাব, আমাৰ কি হ'ব? ভীমক হাঁহি নো কোনে কি কৰিব পাৰিছে? শিলক চিকুটি কোনে ঘা লগাব পাৰে, মোৰ কুটুম! বাৰু, সেয়ে থিৰ হ'ল। আহ, এতিয়া উলটি যাওঁ আমাৰ ঘৰলৈ। নধৰোঁগৈ আৰু বণুৱাৰ লগ।

(অগা-পিচাকৈ দুইৰো প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

দৃশ্য,—দ্বাৰাৱতী, মন্ত্ৰণা-মন্দিৰ

(বলৰাম, শ্ৰীকৃষ্ণ, প্ৰদ্যুম্ন, সাত্যকি, সুপৰ্ণ, অনাধৃষ্টি, ৰুক্মিণীদেৱী)

ৰাম।—হেৰা, কৃষ্ণ! তুমি ভাবি-গুণি কি পাইছাগৈ কোৱাঁ। কুমাৰহৰণ কাণ্ডৰ ভৰত দ্বাৰকা তল যায় এতিয়া। যাদৱবৰ্গৰ কাৰো প্ৰাণত শান্তি নাই। কুমাৰৰ নিৰুদ্দেশত জগৎ-সংসাৰ অন্ধকাৰ দেখিছোঁহঁক।

শ্ৰীকৃষ্ণ।—হে অগ্ৰজ! হেৰা, যাদৱবীৰগণ! অতিকৈ অস্থিৰ হ'ব নালাগে, মই কুমাৰৰ সন্ধান ভাবি পাইছোঁগৈ।

প্ৰদ্যুম্ন।—কি, পিতা! ভাবি কি পাইছেগৈ? পাইছেগৈ নে মোৰ প্ৰাণ-প্ৰতিম অনিৰুদ্ধৰ সন্ধান? কওক পিতা, কৈ এই মৃতপ্ৰায় প্ৰাণত সঞ্জীৱনী শক্তি সঞ্চাৰ কৰক।

সাত্যকি।—প্ৰভো! কওক, অনতিপলমে কওক, দ্বাৰকাৰ চকুমণি কুমাৰৰ সন্ধান ভাবি কি পাইছেগৈ আপুনি।

সুপৰ্ণ।—সন্ধান পাইছে যদি, উদ্ধাৰৰো উপায় অৱশ্যে পাইছে। কওক, হে দ্বাৰকেশ্বৰ! পলম নকৰিব।

অনাধৃষ্টি।—অনিৰুদ্ধ কুমাৰৰ উদ্ধাৰৰ অৰ্থে আজি সদৌ দ্বাৰকাবাসী প্ৰাণ দিবলৈ প্ৰস্তুত। যদুনাথ! কওক, কি কৰিব লাগিব।

শ্ৰীকৃষ্ণ।—কি কৰিব লাগিব, তাকো ভাবি স্থিৰ কৰি থৈছোঁ। আৰু, এই সমুদায় বিষয়ে, ইতিপূৰ্ব্বতে, সখি অৰ্জ্জুনৰ জৰিয়তে পাণ্ডৱ শিবিৰলৈ বাৰ্ত্তা দিয়া হৈ গৈছে।

ৰুক্মিণী।—কি বাৰ্ত্তা, নাথ? বাৰ্ত্তা গৈ পাণ্ডৱ শিবিৰ পালেগৈ, কিন্তু যাদৱ মন্ত্ৰণা-মন্দিৰত তাৰ সম্ভেদ নাই! আচৰিত!

শ্ৰীকৃষ্ণ।—আচৰিত নহয়, প্ৰিয়া! তাৰ অৰ্থ আছে। অৰ্থাৎ, ৰণ-যাত্ৰাৰ বিষয়ে যথাস্থানত আগধৰি জনাই থোৱা উচিত। বিশেষতঃ, কুমাৰহৰণ কাণ্ডই ইযাতকৈও পাণ্ডৱ শিবিৰত অধিক তোলপাৰ লগাইছে। সি যি হওক, যাদৱবৰ্গে অৱশ্যে দ্বাৰাৱতীৰ গড-দেৱাল আদিত অঙ্কিত এটা অপূৰ্ব্ব চিত্ৰলৈ মন নকৰাকৈ থকা নাই। সেই চিত্ৰ-বোৰেই কুমাৰ অনিৰুদ্ধৰ সন্ধান দিছে। বিশেষকৈ, আমাৰ শয়নকক্ষৰ দেৱালত যিটো ছবি অঙ্কিত আছে, সি ফটফটীয়াকৈ দেখুৱাইছে, কুমাৰক কোনে হৰণ কৰিলে, আৰু এতিয়া কুমাৰ ক'ত কি ভাৱে আছে।

ৰাম —চিত্ৰবোৰত আমাৰো চকু পৰিছে, কিন্তু তাৰ আতিগুৰিৰ বিষয়ে গমি হে চোৱা নাই।

শ্ৰীকৃষ্ণ।—হে মহাবাহো! আপোনাৰ মনত নপৰে নে, তাহানি যে ৰুক্মিণীহৰণৰ পাছত, উলটি আহোঁতে, ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে কামৰূপৰ এখন সুৰম্য পুৰী দেখি আহিছিলোঁহঁক? সেয়ে বাণ ৰজাৰ ৰাজ্য। কুমাৰৰ বাওঁৰে অঙ্কিত যিটি অনুপমা কন্যাৰ চিত্ৰ দেখা যায়, সম্ভৱতঃ সেইটি সেই পুৰীৰ অধিপতি বাণ ৰজাৰ জীয়াৰী। পিচফালে অন্যতম যিটি ৰমণীয় ৰমণীৰ চিত্ৰ অঙ্কিত হৈছে, তেওঁ, বোধ কৰোঁ, সেই পুৰীবাসিনী এগৰাকী কামৰূপিনী মায়াবিনী; তেওঁৱেই সম্ভৱতঃ কুমাৰহৰণকাৰিণী।

প্ৰদ্যুম্ন।—কি কথা? কেনেকৈ হৰিলেহি? কওকচোন, পিতা, ভাঙ্গি কওক। ক'ত সেই মায়াবিনী কামৰূপিনী? এতিয়াই তাইক বধ কৰি মোৰ বাছাক উদ্ধাৰ কৰি আনোগৈ!

সাত্যকি।—যেয়ে কি নহওক, প্ৰাণপণে যুঁজিম, কুমাৰক উদ্ধাৰি হে এৰিম। আজ্ঞা কৰোক প্ৰভো!

অনাধৃষ্টি।—মোৰ বোধেৰে, বাণৰাজ্যলৈ অনতিপলমে যাত্ৰা কৰা হে বিধেয়। আলোচনাত পলম কৰাৰ সকাম নাই।

সুপৰ্ণ।—ক'ত সেই বাণপুৰ? পাতালতো স্থিতি যদি জনাব, তুৰন্তে পশিমগৈ তাত।

শ্ৰীকৃষ্ণ।—নহ'বা বিচলিত। বাণৰাজ্য প্ৰৱেশ কৰা সামান্য কথা নহয়। দুৰ্জ্জয় সেই দানৱৰাজ বাণ। অখণ্ড প্ৰতাপ তেওঁৰ ভাৰতময় ৰাষ্ট্ৰ। চিন্তিছোঁ তাৰ যুগুত উপায়। সঠিক সংবাদ আগধৰি লব লাগিব। পাচে হে ৰণযাত্ৰা। সেই অৰ্থে যথা-যথাস্থানলৈ বাৰ্ত্তা গৈছে, তাৰ সমিচাৰ পাওঁ হে লাগে। দক্ষিণ আৰু উত্তৰ কামৰূপৰ বিষয়ে দ্বিতীয় আৰু তৃতীয় পাণ্ডৱ ভীমাৰ্জ্জুনে বিশদকৈ জানে। মোৰ ৰণ ৰচনাৰ আভাস দি, সখি অৰ্জ্জুনলৈকো সংবাদ দিয়া গৈছে, তেওঁৰপৰা কি পৰামৰ্শ আহে, চাওঁ।

ৰুক্মিণী।—হে নাথ! মই ইমানপৰ মনে মনে আছিলোঁ, ইমানতে একেষাৰ ময়ো মাত লগাওঁ। হে গোবিন্দ! আপুনি স্বয়ং অসিলোমা, পোলোমা, নিস্বন্দ, নৰক, সৌভ, শাম্ব, মৈন্দ, দ্বিবিদ, এনে-বিলাক দুৰ্জ্জয় মায়াবী শত্ৰুক বিনাশ কৰিছে। হে দেৱমাধৱ! আপুনি পাৰিজাতহৰণ ৰণত ঐৰাৱত আৰোহী যুদ্ধবিশাৰদ অজেয় বাসৱক অকলশৰে পৰাজিত কৰিছে। এনেস্থলত, বাণ ৰজাৰ কন্যাপুৰ প্ৰৱেশ কৰি সাধাৰণ দানৱৰাজ বাণাসুৰৰ হাতৰপৰা দ্বাৰকাৰ চকুমণি কুমাৰ অনিৰুদ্ধক উদ্ধাৰ কৰা কি এটা শকত কাম, তালৈকে আপুনি চিন্তালোচনা কৰিব লাগিছে!

নতু, মোকো লগত লওক। ময়ো কামৰূপিনী। মই কামৰূপৰ মায়াবিনীহঁতক জিনি, বাণ ৰজাক জিনিবলৈ মোৰ পিতৃ ভীষ্মক ৰজাৰ ৰণবলৰ সাহায্যেৰে আপোনাক সহায় কৰিমগৈ।

শ্ৰীকৃষ্ণ।—হেৰা, বীৰজননি! তোমাৰ বীৰপুত্ৰ প্ৰদ্যুম্ন প্ৰমুখ্যে যাদৱ বীৰগণৰে সৈতে ৰণযাত্ৰাত সম্প্ৰতি মই অকলশৰেই আগবাঢ়োঁচোন; প্ৰয়োজন হলে, পাচতো তুমি সহায় কৰিবাঁগৈ।

(বীণাপাণি দেৱৰ্ষি নাৰদৰ প্ৰৱেশ)

ভজন

হৰে ৰাম হৰে ৰাম, ৰাম ৰাম হৰে হৰে।
হৰে কৃষ্ণ হৰে কৃষ্ণ, কৃষ্ণ কৃষ্ণ হৰে হৰে॥
ৰাম ৰূপে অৱতৰি,
সত্যধৰ্ম্ম ৰক্ষা কৰি,
অন্তৰ্ধান মহাপ্ৰভু,—নামগুণ নিৰন্তৰে।
কৃষ্ণৰূপে অৱতাৰ,
ভৈলা প্ৰভো পৰাৎপৰ,
ধৰ্ম্মৰাজ্য প্ৰৱৰ্ত্তন কৰা হৰি হৰিহৰে॥

(যাদৱবৰ্গে দেৱৰ্ষিক প্ৰণাম কৰে)

নাৰদ।—জয় হোক, আশীৰ্ব্বাদ কৰিছোঁ সৰাকে। (শ্ৰীকৃষ্ণৰ সঙ্কেত অনুসৰি, সাত্যকিয়ে বাঘছাল আসন পাৰি দিয়ে; প্ৰদ্যুম্ন কোঁৱৰে যথাসমাদৰে অৰ্ঘ্য প্ৰদান কৰে)।

শ্ৰীকৃষ্ণ।—দেৱৰ্ষি। আসন গ্ৰহণ কৰোক।

নাৰদ।—(আসনত উপবিষ্ট হৈ) মঙ্গল কামনা কৰোঁ দ্বাৰকা ৰাজ্যৰ।

ৰাম।—ঋষিৰাজ! আপোনাৰ আশীৰ্ব্বাদ শিৰোধাৰ্য্য। কিন্তু, পৰিতাপৰ বিষয়, সম্প্ৰতি এই ৰাজ্যৰ ঘোৰ অমঙ্গল!

ৰুক্মিণী।—মুনিৰাজ! দ্বাৰকা অন্ধকাৰ! দ্বাৰকাৰ তৰুণ অৰুণ কুমাৰ অনিৰুদ্ধ নিৰুদ্দেশ!

নাৰদ।—জানোঁ মই। সেই অপায় খণ্ডাবৰ অভিপ্ৰায়ে হে মই ইয়াত উপস্থিত হৈছোঁহি।

শ্ৰীকৃষ্ণ।—আপোনাৰ আগমন উদ্দেশ্যবিহীন নহয় বুলি মই বেচকৈ জানো। কওক, দেৱৰ্ষি! অপায় খণ্ডনাৰ্থে কি উপায় আনিছে।

নাৰদ।—হে হৰি! আপুনি স্বয়ং অন্তৰ্য্যামী; আপোনাৰ অবিদিত কি আছে! তথাপি, যাদৱবৰ্গক কুমাৰ-হৰণৰ স্বৰূপ সংবাদ দিবলৈ আহিছোঁ।

প্ৰদ্যুম্ন।—হে দেৱদূত! কওক ত্বৰা কৰি ক'ত আছেগৈ মোৰ বাছাধন।

নাৰদ।—মহাৰথ! তুমি ধৈৰ্য্যতাৰ ধৰণীস্বৰূপ। ধৈৰ্য্য ধৰি স্থিৰ হোৱাঁ! কওঁ, শুনিবাঁ সমস্ত বৃত্তান্ত।

শ্ৰীকৃষ্ণ।—তত্ত্বগ্ৰাহী তপোধন! বৃত্তান্তৰ আদিছোৱা মই অনুমানত ধৰি থৈছোঁ, বিশেষণত সবিশেষ বুজি লৈছোঁ। আপুনি মাথোন বৰ্ত্তমানলৈকে বাকী-ছোৱাৰ বিৱৰণ বৰ্ণনা কৰোক।

সাত্যকি।—ঋষিৰাজ! কুমাৰ-উদ্ধাৰলৈ আমি প্ৰস্তুত। সেই উদ্দেশ্যে কামৰূপ যাত্ৰালৈ সক্ষম হৈ আছোঁ। ইতিমধ্যত তাত কি ঘটনা ঘটিছে, তাৰ মাথোন চমু বিবৃতি দিয়ক।

নাৰদ।—হে যাদৱবৰ্গ! কুমাৰহৰণৰ আভাস মাথোন দিওঁ, শুনিব। কুমাৰ অনিৰুদ্ধক কন্যাপুৰৰ চিত্ৰলেখা নামে এগৰাকী বিচিত্ৰা কামৰূপিনীয়ে হৰণ কৰি নি, দানৱৰাজ বাণাসুৰৰ জীয়াৰী অনুপমা ৰূপহী উষাদেৱীক সমৰ্পণ কৰেগৈ। বাণৰাজ্যত অদ্ভুত অগ্নিগড়েৰে সুৰক্ষিত কন্যাপুৰত উষাদেৱীৰে সৈতে অনিৰুদ্ধ কুমাৰৰ গান্ধৰ্ব্ব বিবাহ সম্পাদিত হৈ গৈছে। পিচে, সেই সংবাদ ৰাষ্ট্ৰ হোৱাত, মহাসুৰ বাণ ৰজাই প্ৰকোপিতকৈ ৰোষ কৰি, ৰৌদ্ৰ নামে তেওঁৰ প্ৰচণ্ড সেনাপতিৰ দ্বাৰাই কুমাৰক কন্যাপুৰতে আক্ৰমণ কৰায়। অমিততেজা কেশৰ-নাতি কুমাৰে উলটি ধৰাত, দুইৰো মাজত এখন তুমুল সংগ্ৰাম লাগিল। সেই ভীষণ সংগ্ৰামত ঠাৰৰিব নোৱাৰি সেনাপতিয়ে উলটি গৈ বাণ ৰজাক সংবাদ দিছেগৈ। সেই সংবাদত প্ৰজ্বলিত হৈ, এইবাৰ সহস্ৰভুজ বাণাসুৰ স্বয়ং সক্ষম হৈছে কুমাৰক পুনৰপি আক্ৰমণ

কৰিবলৈ। মই দেখিলোঁ, সেই মহা সঙ্কটৰপৰা কুমাৰক উদ্ধাৰিবলৈ স্বয়ং শ্ৰীকৃষ্ণদেৱে ৰণ-যাত্ৰা নকৰিলে কাৰ্য্য সিদ্ধি নহ'ব। কাৰণ, হৰি শ্ৰীকৃষ্ণত বাজে হৰ সদৃশ অজেয় বাণ ৰজাক জয় কৰা অপৰৰ পক্ষে সম্ভৱপৰ নহয়। মোৰ বোধেৰে, আপোনাসকলৰ সঙ্কল্পিত ৰণ-যাত্ৰা অনতিপলমে হোৱাই উচিত।

শ্ৰীকৃষ্ণ।—মোৰো সেয়ে বোধ। আৰু মুহূৰ্ত্তমানো সময় নষ্ট কৰিব নোৱাৰি। কাইলৈ প্ৰত্যুষে উষাযাত্ৰা ধৰি আমি যাত্ৰা কৰিমহঁক। অগ্ৰজ ৰাম, কোঁৱৰ প্ৰদ্যুম্ন, সেনাপতি সাত্যকি, আগৰণুৱা সুপৰ্ণ, গুৰিধৰা অনাধৃষ্টি আৰু মই, প্ৰত্যেকে যথাসংখ্যক বাছকবনীয়া সৈন্যৰ নায়ক হৈ, সহস্ৰাধিক বিবিধ সুতীক্ষ্ণ অস্ত্ৰেৰে সশস্ত্ৰ প্ৰবল যাদৱবাহিনীৰে সৈতে, দেৱৰ্ষি নাৰদক লগত পথপ্ৰদৰ্শক স্বৰূপে লৈ, গৰুড়যানেৰে কন্যাপুৰলৈ ৰণযাত্ৰা কৰিমহঁক। এতিয়া বলাঁহঁক, সম্ভ্ৰম হওঁগৈ। পলম কৰাৰ সকাম নাই।

ৰুক্মিণী।—মোৰ স্বামীগুৰু যদুনাথৰ অনুজ্ঞা অনুসৰি, সম্প্ৰতি ৰণযাত্ৰাত মই ভুক্ত নহলোঁ, কিন্তু ইতিমধ্যত, যাতে মোৰ পিতৃৰাজ্য কুণ্ডিল নগৰৰ-পৰা প্ৰয়োজন অনুসৰি ৰণবল যথাসময়ত যোগ হয়হি, তাৰ দিহাকৰণৰ অৰ্থে মই ইয়াৰেপৰা যুগুত ব্যৱস্থা কৰিম। (শ্ৰীকৃষ্ণৰ বামকৰ ধাৰণ কৰি) প্ৰাণেশ্বৰ! আহক, মোৰ মনোমতকৈ আপোনাক বীৰ সাজেৰে সজাই পঠিয়াওঁগৈ।

প্ৰদ্যুম্ন।—(নাৰদৰ প্ৰতি) হে দেৱৰ্ষি! আহক, ইতিমধ্যত আমাৰ আতিথ্য গ্ৰহণ কৰি আমাক আপ্যায়িত কৰোকহি।

(সকলোটিৰ প্ৰস্থান)

পঞ্চম গৰ্ভাঙ্ক

দৃশ্য,—বাণ-নগৰ, মন্ত্ৰণা-চৰা

(বাণ, কুম্ভাণ্ড, জ্বৰ আৰু ৰৌদ্ৰ)

বাণ। -মন্ত্ৰী! মোৰ ৰণতৃষ্ণা অদ্যাপি পৰিপূৰ্ণকৈ পৰিতৃপ্ত নহ'ল। সিদিনা সেই বিচক্ষণীয়া যুৱা যোদ্ধাৰ সন্মুখীন হোৱাৰ ছেগতে মোৰ সহস্ৰভুজ পৰিমিত ৰণবল সম্পূৰ্ণে প্ৰয়োগ কৰি মোৰ ৰণতৃষ্ণা পলুৱাবলৈ উদ্যত হৈছিলোঁ, কিন্তু তোমাৰ পৰামৰ্শ অনুসৰি, সেই ৰণবল অৰ্দ্ধেক ক্ষয় হওঁতেই ক্ষান্ত হ'লোঁ। যাৰ উদ্দেশে সেই দিনা অৱশিষ্ট বল গচ্ছিত ৰাখিবলৈ সঙ্কেত দিছিলা, তেওঁ নো কোন? কেতিয়াকৈ সেই কল্পিত যোদ্ধা মোৰ সন্মুখীন হ'বহি?

কুম্ভাণ্ড। -হে মহাসুৰ! সেই জন, মোৰ অনুমানত, যদুনাথ দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণ। সৰ্ব্বসুলক্ষণ নিৰীক্ষণ কৰি বুজিব পাৰিছোঁ, বৰ্ত্তমান আপোনাৰ নাগপাশত আবদ্ধ সেই অমিততেজা যুৱা যোদ্ধাজন কোনোবা এজন যাদৱ কোঁৱৰ,—সম্ভৱতঃ বাসুদেৱ শ্ৰীকৃষ্ণৰ নাতি। গতিকে, এই কোঁৱৰক বন্দী কৰা সংবাদ পোৱামাত্ৰে মহাবীৰ্য্যৱন্ত যাদৱকেশৰী শ্ৰীকৃষ্ণ স্বয়ং ৰণক্ষেত্ৰত আপোনাৰ সন্মুখীন হ'বহি, এয়ে মোৰ ধাৰণা।

বাণ।—(অধৈৰ্য্য) অহঃ! সেই ৰণ-সংবাদ দ্বাৰকা পায়গৈমানে বহুদিন অপেক্ষা কৰিব লাগিব! দ্বাৰকা ইয়াৰপৰা একাদশ-সহস্ৰ যোজনৰ পথ। এনেস্থলত, সেই যোদ্ধা অনতিপলমে মোৰ লাভ হ'ব বুলি তুমি কি যুক্তিৰে ধৰিছা?

জ্বৰ।—হে ৰাজন! দুৰন্তই সংবাদ পলম নকৰে। ৰণ-সংবাদ সততে বায়ুবেগে ধাবিত হয়।

ৰৌদ্ৰ।—প্ৰভো! ৰণবাৰ্ত্তা আকাশী বাতৰি সদৃশ। ই যে কি সূত্ৰে কাৰ যোগে বিদ্যুৎবেগে প্ৰচাৰিত হৈ পৰে, ক'বই নোৱাৰি!

কুম্ভাণ্ড।—ৰণবাৰ্ত্তাত বিদ্যুৎপ্ৰভা বিদ্যমান, তড়িত বাতৰিৰ তুল্য ই বেগৱান।

বাণ।—(বলেৰে ধৈৰ্য্য ধৰি) যি হওক, মানিছোঁ তোমালোকৰ আশ্বাস। অতি কষ্টে আৰু দিন-দিয়েকলৈ প্ৰতীক্ষাত ৰবলগীয়া হ'ল। কিন্তু, অতৃপ্ত তৃষ্ণা অত্যন্ত প্ৰবল, তাৰ গতি ৰোধ কৰি ৰখা সহজ ব্যাপাৰ নহয়।

জৰ।—মোৰ বিবেচনাত, আমি সেই আগন্তুক মহাৰণলৈ সক্ষম হওঁমানে মহাৰাজৰ প্ৰতীক্ষাৰ কাল অন্ত পৰিব।

ৰৌদ্ৰ।—মোৰো সেয়ে ধাৰণা। মোৰ মনেৰে, ইমানৰে-পৰা আমাৰ ৰণ-আয়োজন আৰম্ভ কৰা বাঞ্ছনীয়।

কুম্ভাণ্ড।—নিশ্চয়। ই সাধাৰণ আয়োজনৰ কাৰ্য্য নহয়। মোৰ ধাৰণাত, আগন্তুক মহাযুদ্ধ এনে ধৰণৰ হ'ব, যাৰ উদ্দেশে বছৰদিনৰ আয়োজনো যথেষ্ট নহ'বহে।

বাণ।—(আনন্দত উলাহিত হৈ) সঁচা নে মন্ত্ৰীবৰ। তেন্তে মোৰ তপস্যা, তেনেহ'লে মোৰ বৰলাভ অথলে যোৱাৰ আশঙ্কা নাই? বৰ সন্তোষৰ কথা। অতি হৃদয়ৰঞ্জক আশা। বাৰু, এতিয়া তোমালোক যিভাৱে সক্ষম হোৱা যুগুত, সেই ভাৱেই তাৰ আয়োজনত ধৰ্বাঁগৈইক। মোৰ নিমিত্তে আয়োজনৰ প্ৰয়োজন নাই। মোৰ সহস্ৰ ভুজবলৰ অৰ্দ্ধেকমান বল গচ্ছিত আছেই, আৱশ্যক বোধ কৰা গ'লে, সিদিনা যুৱাযোদ্ধাৰ লগত ক্ষয় হোৱা পৰিমিত বলো পুনৰপি পৰিপূৰ্ণ কৰি লৈ মোৰ সহস্ৰভুজবল সংগঠন কৰি লোৱা যাব।

ৰৌদ্ৰ।—সাধু সিদ্ধান্ত। স্বৰূপ, কাৰ্ত্তিকেয়-অনুজ দুৰ্জ্জয় বীৰ বাণাসুৰ আত্মবলেৰেই মহাবল, তাত আমাৰ সাধাৰণ আয়োজন সংযোগৰ প্ৰয়োজন নহ'ব।

জৰ।—মোৰো সেয়ে মত। এতিয়া মন্ত্ৰীবৰ সমন্বিতে আমি হে সক্ষম হ'ব লাগে। সেই অৰ্থে, যথাযোগ্য আয়োজনৰ প্ৰয়োজন।

কুম্ভাণ্ড।—সেনাপতিদ্বয়ৰ মতত মোৰ অমত নাই। মোৰ পক্ষে, যুদ্ধবিদ্যাৰ যৎকিঞ্চিৎ জ্ঞান মোৰ আছে যদিও, মই ৰণক্ষেত্ৰত অনভিজ্ঞ। গতিকে, মই সক্ষম হ'বলৈ বিশেষ আয়োজনৰ প্ৰয়োজন। এই প্ৰসঙ্গত, মই ইয়াকো ক'ব খোজোঁ, আমাৰ মহাৰাজেও যথাযোগ্য আয়োজনলৈ একেবাৰে আওহেলা কৰা বাঞ্ছনীয় নহ'ব। যিহেতু, আগন্তুক মহাৰণ চলিব হৰৰূপী স্বয়ং দানৱেশ্বৰ আৰু হৰিৰূপী স্বয়ং যাদৱেশ্বৰৰ মাজত; আমি মাথোন তাৰ আনুষঙ্গিক কাৰ্য্য-কাৰণ হ'ম। প্ৰকৃতপক্ষে ই এখন ভীষণ দ্বৈৰথ যুদ্ধ হ'ব। ফলিতাৰ্থত, পৃথিৱীত ই এখন হৰি-হৰ ৰণ হ'বগৈ যেন বোধ হৈছে।

বাণ।—(গম্ভীৰভাৱে) যি হওক, তোমালোকে মাথোন আশে-পাশে সহযোগী স্বৰূপে হে কাৰ্য্যত তৎপৰ থাকিবাঁইক, মোৰ বোধেৰে, মোৰ সমকক্ষ ভাবী যোদ্ধাৰ লগতো কোনোবা সহযোগী পালিযোদ্ধা আহিব পাৰে। সিবিলাকৰে সৈতে সম্মুখীন হ'বলৈ তোমালোক সক্ষম হৈ থাকিবাঁ। পাৰিতপক্ষে মই স্বয়ং সিবিলাকৰ লগত লাগি, মোৰ সহস্ৰভুজৰ গৌৰৱ লাঘৱ কৰিবৰ ইচ্ছা নাই। যি হওক, আলোচনাত কাল হৰণ কৰা বিধেয় বোধ নকৰোঁ। আহাঁইক, আগন্তুক মহাৰণৰ আয়োজনত তৎপৰ হোৱাঁহি।

(সকলোৰে প্ৰস্থান)

ষষ্ঠ গৰ্ভাঙ্ক

দৃশ্য,—কন্যাপুৰত যাদৱ শিবিৰ

(যাদৱবাহিনী আৰু শ্ৰীকৃষ্ণ)

শ্ৰীকৃষ্ণ।—হে মহাবাহু ৰাম! হেৰা, মহাবীৰ প্ৰদ্যুম্ন! হেৰা, মহাৰথ সাত্যকি! হেৰা, ধীমান্ অনাধৃষ্টি! হেৰা, মেঘৰত গুৰু আৰু পৱনোপম লঘু সুপৰ্ণ! মই আগন্তুক মহাৰণত যাদৱ বাহিনীৰ নেতৃত্ব গ্ৰহণ কৰাৰ আগতে কিছুমান লাগতিয়াল

ৰণোপদেশ দিওঁ, সকলোটিয়ে মনোযোগেৰে শুনিব।—আমি যি মহৎ উদ্দেশ্য লৈ এই দূৰ-দূৰৈ অচিনাকি পৰৰাজ্যত, এই অদ্ভুত অগ্নিগড়ৰ মাজত সোমাইছোঁহি, সেই উদ্দেশ্যলৈ প্ৰত্যেক নেতা আৰু প্ৰত্যেক যোদ্ধাৰ লক্ষ্য স্থিৰ থাকে যেন। যাদৱৰত্ন বৃষ্ণি-কোঁৱৰ অপহৃত হোৱাত, আজি পাৰ্থিৱগণ সবাৱে আমাৰ প্ৰতি উদ্বিগ্নভাৱে নিৰীক্ষণ কৰিছে। যদিস্যাৎ আমি আগন্তুক ৰণত পৰাস্ত হৈ কুমাৰৰ উদ্ধাৰত অকৃতকাৰ্য্য হ'ব লগাত পৰোঁ, তেন্তে সদৌ পাৰ্থিৱগণে কুলশীল মহা প্ৰতাপী যাদৱবৰ্গক নিতান্ত অসমৰ্থ জ্ঞান কৰিব। সমুন্নত যদুবংশৰ তাতকৈ অখ্যাতিৰ কথা আৰু কি হ'ব পাৰে? দানৱৰ হাতত ঘাটিব লাগিলে যাদৱৰ গৌৰৱ কেনেকৈ ৰক্ষা পৰিব? উপস্থিত ঘটনা কিন্তু যাদৱৰ পক্ষে নতুন নহয়, এনে ঘটনাৰ পটন্তৰ যাদৱ বুৰঞ্জীত জিলিকি আছে। ইতিপূৰ্ব্বত, যাদৱৰাজ আহুক শাল্ব দৈত্যৰ দ্বাৰাই অপহৃত হৈছিল, যাদৱ যোদ্ধাই সুদাৰুণ ৰণ দি, দৈত্যবীৰক নিপাত কৰি নিজ বংশগৌৰৱ প্ৰত্যানয়ন কৰিছিল। শিশু অৱস্থাত ৰুক্মিণীনন্দন প্ৰদ্যুম্নকোঁৱৰ শম্বৰাসুৰৰ দ্বাৰাই অপহৃত হৈছিল; কালত সেই বৃষ্ণি-কোঁৱৰে নিজ বাহুবলেৰে শম্বৰ অসুৰক নিধন কৰি যাদৱ গৌৰৱ অপ্ৰতিহতকৈ ৰক্ষা কৰিলে। এতিয়াও, প্ৰদ্যুম্ননন্দন অনিৰুদ্ধ কুমাৰহৰণ যাদৱৰ পক্ষে একো নতুন আৰু অলঙ্ঘনীয় কাণ্ড নহয়। এতিয়াও আমাৰ উদ্দেশ্য সফল হ'ব। এতিয়াও যাদৱ গৌৰৱ ৰক্ষা পৰিব। ই নিশ্চয়।

যাদৱবৰ্গ।—(সমস্বৰে) নিশ্চয়। নিশ্চয়।

প্ৰদ্যুম্ন।—পিতৃযোগ্য পুত্ৰ হয় যদি, মই শম্বাৰাসুৰক বধ কৰাৰ দৰেই, মোৰ পুত্ৰ কুমাৰ অনিৰুদ্ধই বাণাসুৰক বধ কৰি নিশ্চয় আত্মোদ্ধাৰ কৰিব।

সাত্যকি।—নিশ্চয়। অনিৰুদ্ধ কুমাৰত আত্মোদ্ধাৰৰ বল-বীৰ্য্যৰ অভাৱ নাই।

শ্ৰীকৃষ্ণ।—সঁচা। কুমাৰ সাধাৰণ বীৰ নহয়। কিন্তু, বাণাসুৰৰ দেৱদত্ত বলবীৰ্য্যও সামান্য নহয়; সেই বৰৰ প্ৰভাৱতে তেওঁ সহস্ৰভুজ নামে অভিহিত।

বলৰাম।—তোমালোকে নাজানা, বলিনন্দন বাণাসুৰ হৰ-মহেশ্বৰৰ বলেৰে বলীয়ান।

শ্ৰীকৃষ্ণ।—যি হওক, সম্প্ৰতি কুমাৰ অনিৰুদ্ধ এই কন্যাপুৰৰ কোন্ ঠাইত কি ভাৱে প্ৰবাসিত হৈ ৰৈছে, তাৰ সম্ভেদ লোৱাৰ প্ৰয়োজন। মই সেই বিষয়ক চিন্তালোচনাত আছোঁ।

সুপৰ্ণ।—প্ৰভুৰ আজ্ঞা হ'লে, সেই সম্ভেদ্ অনতিপলমে আনি দিবলৈ মই গাত লৈছোঁ।

অনাধৃষ্টি।—অতি উত্তম কথা। সেইবাবে সহযোগী সুপৰ্ণ আমাৰ সবাৰে ধন্যবাদৰ পাত্ৰ।

শ্ৰীকৃষ্ণ।—বাৰু, সেই বিষয়ত নিশ্চিন্ত হ'লোঁ। এতিয়া আকৌ আগন্তুক ৰণত জয়লাভ কৰাৰ বিষয়ে ভাবিবলগীয়া হৈছে। হে যাদৱগণ! ইতিপূৰ্ব্বৰ অপহৃত কাৰ্য্যাৱলীয়েও মোক ব্যথিত কৰিছিল; উপস্থিত এই কুমাৰহৰ'ত মোৰ প্ৰাণত বিষম ব্যথা বাজিছে, এনে ব্যথা মই কেতিয়াবা কিবা কাৰণত পাইছিলোঁ বুলি মোৰ স্মৰণ নহয়। আৰু, যাদৱৰ্গ প্ৰমুখ্যে দ্বাৰকাবাসীয়েও কদাপি এনে মনস্তাপ সহিব লগাত পৰা নাই। এতেকে, এতিয়া আমি সবাৱে একান্তচিত্তে এই ৰণত এই ৰাজ্যৰ দুৰ্জ্জয় ৰজা বাণাসুৰৰ সন্মুখীন হ'বলৈ বদ্ধ-পৰিকৰ হ'ব লাগে। সেই উদ্দেশ্যে প্ৰত্যেক যাদৱ যোদ্ধা এই মহামন্ত্ৰেৰে অনুপ্ৰাণিত হ'ব লাগে, "মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন"।

সাত্যকি।—জয় যাদৱবাহিনীৰ জয়!

যাদৱবাহিনী।—জয় শ্ৰীকৃষ্ণৰ জয়!

বলৰাম।—হেৰা, অদ্ভুতকৰ্ম্মা কৃষ্ণ! তুমি মোৰ প্ৰাণপ্ৰতিম অনুজ। তুমি আজীৱন মোৰ অনুচৰৰূপে চলি আহিছা। কিন্তু, আগন্তুক মহাযুদ্ধত আজি তুমি মোৰ অগ্ৰজোত্তম উপদেষ্টা। তোমাৰ অপ্ৰতিহত নেতৃত্ব মানি অগ্ৰসৰ হ'বলৈ মই সৰ্ব্বতোভাৱে প্ৰস্তুত আছোঁ।

শ্ৰীকৃষ্ণ।—(বলৰামৰ চৰণ চুই) হে অগ্ৰজ গুৰুদেৱ! ময়ো, নেতা হৈয়ো, আপোনাৰ নেতৃত্ব মানি চলিবলৈ মান্তি হৈছোঁ।

প্ৰদ্যুম্ন।—হে যদুনাথ! মই পুত্ৰ হৈ পিতৃৰ কি গুণ-কীৰ্ত্তন কৰিম? তথাপি, কৰ্ত্তব্যৰ অনুৰোধত ইমানকে কওঁ, যি অচলা ভক্তিৰে সৈতে পিতৃৰ আদেশ-উপদেশ আজন্ম পালন কৰি আহিছোঁ, আজি এই মহা পৰীক্ষাৰ স্থলত তাৰ লেশমানো ত্ৰুটী নহ'ব; আগন্তুক মহাৰণত আপুনি যেতিয়াই যি আদেশৰ সঙ্কেত দিব, তেতিয়াই সেই আদেশ আনন্দমনেৰে শিৰোধাৰ্য্য কৰি অগ্ৰসৰ হ'ম।

সুপৰ্ণ।—হে প্ৰভু শ্ৰীকৃষ্ণ! আপোনাৰ বিনয়-নম্ৰতা অতিশয় অদ্ভুত। হে মধুসূদন! আপুনি স্তোতব্য হৈয়ো স্তৱ কৰা সদৃশে যি অমায়িক প্ৰেৰণা প্ৰয়োগ কৰিছে, সি প্ৰত্যেক যাদৱ যোদ্ধাৰ অন্তৰৰ মৰ্ম্ম স্পৰ্শ কৰিছে। আপুনি বেদাধ্যক্ষ, সুৰাধ্যক্ষ, সৰ্ব্বকামপ্ৰদ, অমোঘদৰ্শন, আৰু বৰাৰ্থিগণৰ বৰপ্ৰদ। আপুনি চতুৰ্ভুজ, চাতুৰ্হোত্ৰপ্ৰৱৰ্ত্তক, চাতুৰাশ্ৰম্য-হোতা, চতুৰ্ণেতা আৰু মহাকৱি। হে প্ৰভো! আপুনি ধনুৰ্দ্ধৰ, চক্ৰধৰ, শঙ্খধৰ, আৰু আপুনিয়েই পূৰ্ব্বতন দেহসকলত ভূমিধৰ বুলি প্ৰখ্যাত। আপুনিয়েই দৈৱকীনন্দন, যশোদাতনয়, গোৱৰ্দ্ধন-ধাৰী, বৃন্দাবনবিহাৰী গোপ্ৰাণ গোপাল। আপুনি মল্লাদি মল্লভাবন, মল্লপ্ৰিয়, মহামল্ল, চানুৰমৰ্দ্দন মহাপুৰুষ। আপুনি বিপ্ৰপ্ৰেম, বিপ্ৰহিত, বিপ্ৰজ্ঞ আৰু বিপ্ৰভাবন। হে গোৱিন্দ! আপুনি সৰ্ব্ব-ধনুৰ্দ্ধৰ আৰু মহান প্ৰলয় আৰু নিলয়। হে মাধৱ! হে যদুত্তম জনাৰ্দ্দন! আপোনাৰ আদেশ-নিৰ্দ্দেশ সততে শিৰোধাৰ্য্য।

অনাধৃষ্টি।—হে মহাপ্ৰভো! আপুনি স্বয়ং অন্তৰ্য্যামী ভগবান। আমি সামান্য নৰে সামান্য বাক্য যোজনাৰে আপোনাৰ অসীম ক্ষমতা বখানিবলৈ যোৱাটো আমাৰ ধৃষ্টতা মাথোন। আপোনাৰ পূৰ্ব্বকৃত অদ্ভুত কৰ্ম্মৰাশিৰ ৰোমাঞ্চক স্মৃতিয়ে মোৰ অন্তৰত দৃঢ় বিশ্বাস জন্মাইছে, আপুনি উপস্থিত যাদৱ-বাহিনীক নিমিত্তকাৰণ স্বৰূপ লৈ, আগন্তুক মহাসমৰত দুৰ্জ্জয় বাণ-ৰজাক জয় কৰিব; আপুনি নিজ বাহুবলেৰে সেই সহস্ৰভুজ দৈত্যেন্দ্ৰক সৰ্ব্বতোভাৱে বশ কৰিব। এই নিৰ্ভুল ধাৰণাৰে মই আপোনাৰ আজ্ঞানুবৰ্ত্তী হৈ ৰণাৰম্ভণৰ ক্ষণ গণিব লাগিছোঁ।

সাত্যকি।—হে প্ৰভো! আপোনাৰ এই চিৰানুগত দাস যে আপোনাৰ চিৰপ্ৰবাহিত আদেশ অঙ্গুলি-নিৰ্দ্দেশ মাত্ৰে পালন কৰিবলৈ প্ৰাণপণে প্ৰস্তুত, তাৰ দ্বিৰুক্তি নিষ্প্ৰয়োজন। আপুনি কৃপা কৰি স্বয়ং আমাৰ নেতৃত্ব গ্ৰহণ কৰিছে যেতিয়া, আমাৰ ৰণজয় মোৰ অগ্ৰিম ধাৰণা। হে কেশৱ! হে দেৱমাধৱ! হে অপায়হাৰী হৰি! আপুনি দক্ষিণ কৰকমলত অসি-চক্ৰ-গদা-বাণ আৰু বাম কৰপদ্মত বৰ্ম্ম-শাৰ্ঙ্গ-শঙ্খ-বজ্ৰ ধাৰণ কৰি যি মুহূৰ্ত্তত যি আদেশ প্ৰয়োগ কৰিব, সেই আদেশৰ প্ৰেৰণাত যাদৱ-বাহিনী অবাৰিত গতিৰে সম্মুখ-সংগ্ৰামলৈ উত্তেজিত হৈ অগ্ৰসৰ হ'ব; তাত মোৰ লেশমানো সংশয় নাই। হে বাসুদেৱ! হে যাদৱেশ্বৰ! আপোনাৰ এই দেৱতাদুৰ্ল্লভ-নেতৃত্বত আমি সদৌ যাদৱ-বাহিনীয়ে পৰম উল্লাহিত হৈ আগন্তুক মহাৰণ প্ৰতীক্ষা কৰিছোঁ।

শ্ৰীকৃষ্ণ।—হে অগ্ৰজ সঙ্কৰ্ষণ! আপুনি সমন্বিতে যাদৱ সেনাপতিগণ আৰু বীৰযোদ্ধাবৰ্গৰ সম্মিলিত সমাদৰে মোক পৰম উল্লাহিত কৰিছে। সেনা-সেনানায়ক সবায়ে একেস্বৰে আমাৰ ৰণজয় নিশ্চয় বুলি বিশ্বাস কৰাত, মোৰ মনতো সেই ধাৰণা অটল ভাৱে বহিছে। তথাপি, কাৰ্য্যফললৈ আগধৰি হাত পতাটো বিধি নহয়; ফলাফল বিভুৰ হাতত হে, মানৱলৈ সি শেহত হে ফলিয়ায়। সম্প্ৰতি আমি জয়লাভ কামনা মাথোন কৰিব পাৰোঁ; সেই অৰ্থে নিশ্চিত হব নোৱাৰোঁ।

সুপৰ্ণ।—জয় যাদৱৰ জয়! (যাদৱবাহিনীয়ে দোহাৰে)

সাত্যকি।—জয় শ্ৰীকৃষ্ণৰ জয়! (যাদৱবাহিনীয়ে দোহাৰে)

শ্ৰীকৃষ্ণ।—হে বীৰগণ! আমি আজি যি ৰজাৰ ৰাজ্যত আক্ৰমণকাৰীৰূপে প্ৰবেশ কৰিছোঁহি, তেওঁ নগণ্য যোদ্ধা নহয়; তেওঁ এজন মহাসুৰ,—নাম বাণেশ্বৰ! তেওঁৰ বল-বিক্ৰমৰ বিষয়ে মই যি জানোঁ, তাৰ উপৰি তেওঁৰ প্ৰবল প্ৰতাপৰ বিষয়ে দেবৰ্ষি নাৰদৰ মুখে সবিশেষ শুনা গৈছে। তেওঁ এজন অদ্বিতীয় শৈৱ ৰজা। হৰভক্তিৰ বলত তেওঁ অতুল ক্ষমতা লাভ কৰিছে। এনে কি, তেওঁ দেৱীৰ পুত্ৰত্ব লাভ কৰি, মহাবাহু সুৰসেনাপতি কুমাৰ কাৰ্ত্তিকেয়ৰ কনিষ্ঠৰূপে পৰিগণিত হৈ উঠিছে। সেই অৱধি তেওঁৰ ৰণতৃষ্ণা অপ্ৰদমিত ভাৱে বাঢ়িব লাগিছে। স্বৰূপাৰ্থত, উপস্থিত মহাৰণ তেওঁৰ ইপ্সিত ৰণ মাথোন। ইয়াৰ উদ্দেশে তেওঁ বহুদিনধৰি লালায়িত। তেওঁ এজন যুদ্ধবিশাৰদ দানৱৰাজ। তেওঁ একেছেগতে সহস্ৰ তীক্ষ্ণাস্ত্ৰ পৰিচালনা কৰিব পাৰে দেখি, তেওঁ সহস্ৰভুজ নামে অভিহিত। এনে এজন দুৰ্জ্জয় বীৰ ৰজাৰ লগত সমুখসংগ্ৰাম দিবলৈ বুলি সুদূৰৈ দ্বাৰকাৰপৰা আহি আমি এই অগ্নিগড়েৰে সুৰক্ষিত কন্যাপুৰত প্ৰবাসিত হৈছোঁহি। এতেকে, এতিয়া সেই অনুপাতে আমাৰ মানসিক আৰু শাৰীৰিক বল-বিক্ৰমৰ প্ৰয়োজন। আপোনাসবৰ মনোবলৰ পৰিচয় পাই মই পুলকিত হৈছোঁ; আগন্তুক সু-ছেগত দেহবলৰ পৰিচয়ো পাওঁ যেন, এই বাঞ্ছা।

সাত্যকি।—প্ৰভো! আগন্তুক মহাৰণত আমাৰ জয় নিশ্চয়!

প্ৰদ্যুম্ন।—পিতা! আমাৰ ৰণজয়ৰ ধাৰণা স্বাভাৱিক। উপস্থিত মহাৰণ যে যাদৱ বল পৰীক্ষাৰ অৰ্থে সংঘটিত হৈছে, সেইটো মোৰ ধ্ৰুৱ ধাৰণা।

শ্ৰীকৃষ্ণ।—তোমালোকে উপস্থিত ৰণকে যিভাৱে মহাৰণ বুলি ভাবিছাহঁক, মই সেইভাৱে ভবা নাই। যিহেতু, মোৰ মনত ইয়াতকৈ ষাঠিগুণে চৰা এক মহাৰণৰ ৰচনা চলিত আছে,—যি ৰণ-ৰচনাৰপৰা মোক কৰুক্মিণীদেৱীয়ে আচম্বিতে গৈ একৰাই আনি এই ৰণ-ৰচনাত নিয়োগ কৰিলেহি, সেই কুৰুক্ষেত্ৰ-ৰণেই মোৰ সেই কল্পিত মহাৰণ। উপস্থিত ৰণৰপৰা অব্যাহতি পোৱা মাত্ৰে অনতিপলমে মই সেই মহাৰণত যোগ দিবগৈ লাগিব।

বলৰাম।—সেই বিষয় আমাৰ অবিদিত নহয়। মোৰ অনুজ্ঞা অনুসৰিয়েই ৰুক্মিণীদেৱী উপপ্লব্যলৈ সেই উদ্দেশ্যে প্ৰেৰিত হৈছিল। হেৰা কৃষ্ণ! এতিয়া যাদৱ-বাহিনীক উপস্থিত ৰণৰ দিহা দিয়াৰ হে প্ৰয়োজন।

শ্ৰীকৃষ্ণ।—সম্প্ৰতি উপস্থিত ৰণ সম্পৰ্কে আপোনাসকলক বিস্তাৰিতভাৱে দিহা দিয়া নাযায়, কাৰণ ৰণ আৰম্ভণৰ পূৰ্ব্বেই তাৰ পূৰ্ণ ব্যৱস্থা দিব নোৱাৰি; সম্প্ৰতে ইয়াকে মাথোন কোৱা যায়, যি ক্ষণত আমি ৰণক্ষেত্ৰত অৱতীৰ্ণ হমগৈ, সেই ক্ষণৰপৰা, অপৰ কোনো নিৰ্দ্দেশৰ নিদৰ্শন নিদিয়ালৈকে, আমি সম্মিলিতভাৱে অগ্ৰসৰ হওঁতে, মই সৰ্ব্বাগ্ৰত সন্মুখীন হম; মোৰ সমুখত সুপৰ্ণ থাকিব; দক্ষিণ পাশে অগ্ৰজ সঙ্কৰ্ষণ, বাম পাশে কুমাৰ প্ৰদ্যুম্ন থাকিব; তৎপশ্চাতত যাদৱবাহিনীৰ আগত অনাধৃষ্টি, আৰু সদোপশ্চাতত সাত্যকি গুৰিধৰা হৈ ক্ৰমাৎ অগ্ৰসৰ হ'ব লাগিব।

সুপৰ্ণ।—শিৰোধাৰ্য্য প্ৰভুৰ আদেশ!

অনাধৃষ্টি।—সততে ৰাখিম মনত প্ৰভুৰ দিহাকৰণ।

সাত্যকি।—গুৰিধৰা বাব মই পালিম যতনে।

শ্ৰীকৃষ্ণ।—আৰু এটি কথা। ৰণনীতি অনুসৰি, যি পক্ষে আগধৰি ৰণ-আৰম্ভণ ঘোষণা কৰে, সেইপক্ষে একাধিক বিশেষ সুবিধা উপভোগ কৰিবলৈ পায়। গতিকে, আমাৰ পক্ষীয় দূত আগধৰি শত্ৰুশিবিৰলৈ প্ৰেৰিত হব লাগে ৰণাৰম্ভণ ঘোষণা কৰিবলৈ। সম্প্ৰতে ইমানেই। এতিয়া ৰণসজ্জা কৰোঁগৈ আহাঁহঁক।

অনাধৃষ্টি।—জয় যাদৱবাহিনীৰ জয়!

(একেস্বৰে দোহাৰ)

সুপৰ্ণ।—জয় শ্ৰীকৃষ্ণৰ জয়! (একেস্বৰে দোহাৰ)

(সকলোৰে প্ৰস্থান)

সপ্তম গৰ্ভাঙ্ক

দৃশ্য,—ৰাজ-আলি

(যাদৱ আৰু দানৱ দুৰ্গৰ বাৰ্ত্তাবহ দুটা দূত)

১ম দূত।—(উত্তৰৰপৰা দক্ষিণলৈ আহি থাকে) কোন্ তই?

২য় দূত।—(দক্ষিণৰপৰা উত্তৰলৈ যায়) দূত মই।

১ম দূত।—উৰা! ই কয় কি?

২য় দূত।—এৰা, ভাল কৈছোঁ, মই দূত।

১ম দূত।—হেৰ, মই হে দূত।

২য় দূত।– নহয়, হেৰ, মই হে দূত।

১ম দূত।—দেখিছ বাৰু এতিয়া!

২য় দূত।—দেখিছোঁ তো; এইটো (নিজক) তই, সেইটো (১ম দূতক) মই।

১ম দূত।—বাৰু, হেৰ, তোৰ নাম কি?

২য় দূত।—মোৰ নাম মনপুৰ।

১ম দূত।—উঃ! কটা, বন্দি! মোৰ নামটোও দহোন নিব খোজ? (চোচামাৰি গৈ ঠেলামুৰি এটা মাৰে) ঔ, কটা! বিষয়খন যে নিয়েই, মোৰ নামটোও নিয়ে এতিয়া! কটাৰ পো কটা, হেৰ, মোৰ নাম হে মনপুৰ!

২য় দূত। (উলটি ধৰি কিলাকুটি বাজ্যং) কটাৰ বন্দী কটা! বৰকৈ কেৰামতালি কৰচোন? বোলে, পৰদেশ মৰদেশ; মাৰি যাম, মৰি যাম বুলি জনা নাই হ'বলা? কটা! মোৰ নাম মনপুৰ বুলি জগতে জানে।

১ম দূত।—আউ! ই হে মই। মই মই নহয়েই! মই মিছাতে হে মই মইকৈ ফুৰোঁ!

২য় দূত।—বাৰু, ৰবি, মই পৰ্মাণ কৰি চাওঁ। তইয়ে (নিজৰ বুকুত আঙ্গুলি দি) মই নে, মইয়ে (১ম দূতৰ বুকুত আঙ্গুলিৰে খোঁচ মাৰি) তই (নিজৰ বুকুলৈ আঙ্গুলি ঘূৰাই আনি)?

১ম দূত।—(নিজৰ গালৈ আঙ্গুলি নিৰ্দ্দেশ কৰি) তইয়ে মই, (২য় দূতৰ গাত আঙ্গুলি লগাই) মইয়ে তই।

২য় দূত।—নহ'ল, নহ'ল। (মুখত হাত চপৰিয়াই) আবা-বা, আবা-বা! মই হে তই, তই হে মই।

১ম দূত।—আবা-বা-বা! নহ'ল, তোৰো নহ'ল। তই হে মই, মই হে তই। এনেকৈ হে হ'ব।

২য় দূত।—(মুখৰ ভিতৰতে বুলবুলাই) তেনেকৈও নিমিলেচোন অ?—এঃ, তেন্তে দুয়ো মই, দুয়ো তই, এনেকৈয়ে হক দে। কি বোল?

১ম দূত।—তেনেকৈচোন পিচে দুইটা একেটা হলোঁ একা!

২য় দূত।—ঔ, একেটা হলোঁ তো। হেৰ, আমাৰ নামো একেটা যে! মন কৰি চাচোন।

১ম দূত।—তেনেহলে আমি দুয়ো মিতা!

২য় দূত।—ওঁ তো। আমি উপজিবৰেপৰা মিতা। তং কৰি চাবিচোন, আমি কোনোবা জনমত এটা আছিলোঁ, নহয় নে বাৰু?

১ম দূত।—এৰা, হয়, আমি নৌ-উপজিবৰেপৰা মিতা। এতেদিন ভুলত হে নিমিতাকৈ আছিলোঁহঁক।

২য় দূত।—এৰা, হ'ব পায় হয়। হেৰ, ককাইটি, আকৌ একেটা হৈ চাওহকচোন, আহচোন। (দুয়ো ডিঙ্গি ধৰাধৰিকৈ জঁপিয়াই নাচি নাচি) "মই-ময় তই-তয় ৰাম ঔ হৰি, থাকোঁ জোলোঙাত ভৰি!"

১ম ২য়, দূত।—(ডেও পাৰি নাচি নাচি) মই-ময় তই-তয়, তই-তয় মই-ময়, হৰ ঔ হৰি, আছোঁ জোলোঙাত ভৰি।

১ম দূত। বাৰু, ভাইটি! সইত কৰি, নেভাৰিবি, তই নো যাৱ কলৈ? কচোন। চুপতি নকৰিবি দেই।

২য় দূত।—ককাইটি! চুপতি কৰিবলৈ, তই জানো ৰূপতী? সঁচাই কৈছোঁ, পতিয়াবি, মই দানৱ কোঁঠলৈ যাওঁ। পিচে, তইনো যাৱ কেলৈ?

১ম দূত।—ভাইটি! মই যাওঁ যাদৱ কোঁঠলৈ।

২য় দূত।—কিয়?

১ম দূত।—ৰণ ঘোষণাৰ বতৰা দিবলৈ।

২য় দূত।—(আনফালে মুখ কৰি আপোনা-আপুনি) অ! ই মোতকৈ আগ বাঢ়ে এতিয়া! সেনাপতি দৌতাই কৈ পঠিয়াইছিল, বোলে আমাৰ ফালৰপৰা

হে বতৰাটো আগ হ'ব লাগে। বাৰু, তেন্তে এটা বুধি কৰিব লাগিল। (ফুটাই) ককাইটি!ময়ো যাওঁ কিবা কথাৰে দানৱ কৌঁঠলৈ। ককাইটি! মোক দোখোজমান আগবঢ়াই বাট লগাই দে হেৰ! অচিনাকি ঠাই; ক'ৰবালৈ যাওঁতে ক'ৰবাত ওলামগৈ পিচে! (হাতত ধৰি টানি) আহ, ককাইটি, আহ, (কেখোজমান টানি নি) মোক পোন্ বাট এটা লগাই দেহি, আহ।

১ম দূত।—এৰা, মোশৈকো বেলি হয়। বেলি নৌ পৰোঁতেই ঘূৰিবগৈ লাগে। -বাৰু, বল, সৌ পোন্ বাটটো লগাই দি আহোঁগৈ। (দুয়ো, ২য় দূত ১ম দূত যাবলগীয়া মুখে ওলাই গৈ আকৌ ইপাকে দি ঘূৰি সোমায়হি)

১ম দূত। -বাৰু, যাগৈ দেই ভাইটি, ইয়াৰেপৰা।

২য় দূত। বাৰু, যাওঁ গৈ দেই ককাইটি! তয়ো লাহে লাহে যাগৈ; পাবিগৈ, ভয় নাই, বেলি ভালেখিনি আছে। বেগাই নেযাবি, দুখ পাবি। (আপোনা-আপুনি) তই গৈ পাওঁতে নাপাওঁতেই মই গৈ পাই ঘূৰিমগৈ।

চতুৰ্থ অঙ্কপাত

পঞ্চম অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

দৃশ্য,—হৰিহৰ ৰণক্ষেত্ৰ

(নেপথ্যত ৰণবাদ্য, যাদৱবাহিনী আৰু দানৱবাহিনীৰ নেতাবৰ্গ দুফালৰপৰা প্ৰবেশ)

শ্ৰীকৃষ্ণ।—হেৰা দানৱৰাজ বাণ! ৰণক্ষেত্ৰত আমি উভয়পক্ষ সন্মুখীন! মই যথাবিধি ঘোষণা কৰিছোঁ, এতিয়া ৰণ আৰম্ভ কৰা হওক। আশা কৰোঁ, কোনো পক্ষে প্ৰচলিত ৰণ-নীতি ভঙ্গ নকৰে যেন। মই প্ৰস্তাৱ কৰোঁ, জয়-জয়তে দ্বৈৰথ যুদ্ধ চলোক। সেই অনুসৰি, উভয় পক্ষৰ প্ৰধান প্ৰধান সেনাপতি-গণ নিজ বাছনি অনুযায়ী যোৰা-যোৰা হৈ দ্বৈৰথ যুদ্ধত প্ৰবৃত্ত হওক। সিফালে দুয়োপক্ষৰ সেনানায়ক-সকলে যাদৱবাহিনী আৰু দানৱবাহিনীৰ সমবেত সেনানীৰে সৈতে সন্মুখসংগ্ৰামত লাগি যাওক। মোৰে সৈতে দ্বৈৰথ ৰণলৈ মই অপৰ পক্ষৰ সৰ্ব্বপ্ৰধান ৰণনেতা বাণাসুৰক বাছি লৈছোঁ।

বলৰাম।- মই জ্বৰ সেনাপতিক লৈছোঁ।

প্ৰদ্যুম্ন।—ৰৌদ্ৰ সেনাপতিয়ে মোৰে সৈতে যোৰা পাতক।

সাত্যকি।—মই কুম্ভাণ্ড মন্ত্ৰীৰে সৈতে যোৰা পাতোঁ।

বাণ।—(সগৰ্ব্বে) তোমালোকক স্বয়ম্ভু কৰ্ত্তা হ'বলৈ কিয় বাট এৰি দিম? মোৰ ৰাজ্যত, মোৰ নগৰত, মোৰ ক্ষেত্ৰত ৰণ পতা হৈছে, এতেকে মোৰ দিহা, মোৰ আজ্ঞা সবাতকৈ আগ হ'ব লাগিব।

শ্ৰীকৃষ্ণ।—নহয়, সেইটি নৰজে। হেৰা মহাসুৰ! তুমি ৰণনীতি ভঙ্গ কৰিব নোৱাৰা।

বাণ।—(ইতিকিং কৰি) তুমি মোক ৰণনীতি নালাগে শিকাব, লাগে যদি, শিকি লোৱাঁ মোৰপৰা।

শ্ৰীকৃষ্ণ। -(হাঁহি হাঁহি) নিশিকিলেও পালিব লাগিব ৰণ-নীতি। ৰণ-নীতি অনুসৰি যি পক্ষই আগধৰি ৰণ ঘোষণা কৰে, সি পক্ষেই ৰণ-দিহাকৰণৰ বাব পায়। ভাবি চোৱাঁ, ঘোষণা কাৰ আগ।

বাণ। -(ৰোষান্ধ হৈ) নামানোঁ তোমাৰ কথা। নালাগে তোমাৰ দিহাকৰণ। মোৰ মতে মই ৰণ কৰিম; তোমাৰ মতে তুমি কৰাঁ।

শ্ৰীকৃষ্ণ। –হেৰা বাণ! তুমি দানৱৰাজ। তুমি মহাসুৰ। তুমি সহস্ৰবাহু নামে অভিহিত। তুমি সুপ্ৰখ্যাত মহানীতিজ্ঞ বলিৰাজৰ নন্দন। এতেকে, তুমি নিশ্চয় ৰণশাস্ত্ৰবিশাৰদ। ৰণ-নীতি বিষয়ক সম্যক্ জ্ঞান নাথাকিলে তুমি সেই গুণ-গৌৰৱৰ গৰাকী হ'ব নোৱাৰা। যি পক্ষৰপৰা ৰণ-ঘোষণা আগ হয়, সেই পক্ষক সৰ্ব্ব প্ৰস্তাৱৰ বাব দিবই লাগিব। ঘোষণাত কোন্ পক্ষৰ দূত আগ হৈছিল, স্মৰণ ৰাখিবা।

বাণ।- (চিন্তাযুক্ত হৈ কুম্ভাণ্ডৰ প্ৰতি) কি জানা, মন্ত্ৰী, তুমি এই বিষয়ে? তোমাৰ অভিমত কি?

কুম্ভাণ্ড।—হে ৰাজন্! অপৰ পক্ষৰ ৰণ-ঘোষণা আমাতকৈ আগ সঁচা। ৰণ-নীতিমতে ঘোষণাত আগ হোৱা পক্ষে ৰণৰ নিয়ম-প্ৰকৰণত কিছুমান বিশেষ সুবিধা ভোগ কৰিবলৈ পোৱাটোও শাস্ত্ৰসন্মত সঁচা।

বাণ।—(অনিচ্ছাৰে সৈতে) বাৰু, তেন্তে দিছোঁ সন্মতি, হওক সেয়ে। কিন্তু, মোৰ ৰণতৃষ্ণাৰ পৰিতৃপ্তি হে নহ'ব হ'বলা! এই ক্ষুদ্ৰকায় কৃষ্ণকণৰে সৈতে যুঁজি মই কি তৃপ্তি পাম! ভাবিছিলোঁ, অকলেই সমস্ত যাদৱবাহিনীক নিপাত কৰি কিঞ্চিৎমান বাসনা পূৰাম; কিন্তু সেয়ে হৈ উঠে এতিয়া! বিধিৰ বিড়ম্বনা!

শ্ৰীকৃষ্ণ।—হেৰা, বলিনন্দন! বৰকথাৰ প্ৰয়োজন নাই। তোমাৰ গুণপ্ কাৰ্য্যেৰে প্ৰমাণিত কৰিবাঁ; তালৈ আৰু সৰহপৰ নাই। এই ক্ষীণকায় ক্ষুদ্ৰ মানৱেৰে ৰণত প্ৰবৃত্ত হোৱাত যদি তোমাৰ ৰণতৃষ্ণা নপলায়, তেন্তে অৱশ্যে মহাকায় মানৱ, নাইবা দানৱ, কিম্বা দেৱতা যোদ্ধা লাভলৈ পুনৰপি তপস্যাত বহিবাঁগৈ। আমাৰ পক্ষৰপৰা কিন্তু এনে অসাৰ বাক্-বিতণ্ডা বিস্তৰ নাপাবাঁ, কাৰণ তালৈ আমাৰ সময় নাই; মই যাদৱবাহিনীক প্ৰত্যাগত কৰি, অনতিপলমে কুৰুক্ষেত্ৰ মহাৰণ আৰম্ভ কৰাবগৈ লাগে। এতেকে, আৰু কালহৰণ নকৰি মই ৰণাৰম্ভণ ঘোষণা কৰি দিওঁ। (পাঞ্চজন্য শঙ্খ বাদনেৰে ৰণ আৰম্ভ কৰিবলৈ আদেশ দিয়ে)

বাণ।—অহ! কুৰুক্ষেত্ৰ মহাৰণ! নিমিলিল ভাগ্যত মোৰ ভাগ সেই মহাসমৰত! শুনিছোঁ, ভগদত্ত কৌৰৱ-পক্ষৰপৰা আহূত হৈছে—মই পাণ্ডৱ পক্ষৰপৰা আহ্বান পোৱা হলেও।

শ্ৰীকৃষ্ণ।—জয়-জয়তে অগ্ৰজ হলধৰৰ যোৱা দ্বৈৰথ যোদ্ধাই উপস্থিত ৰণৰ মোৰ্ ধৰি দিয়ক।

ৰাম!—আহাঁ, সেনাপতি জ্বৰ! লৰোঁ আমি দুয়ো আগে দ্বৈৰথ প্ৰণালীৰে। ধৰাঁ, প্ৰথমতে লৰি চাওঁ গদা আৰু মুষলেৰে।

জ্বৰ।—(আস্ফালন কৰি) সাজু মই। চাপাঁ কাষ। লৰিম যিহেৰে লাগে। তোমাক ৰণমত্ত দেখি কিন্তু মই হাঁহি সামৰিব পৰা নাই! তথাপি, হেৰা হলায়ুধ! আহিছা যেতিয়া সন্মুখীন হৈ, নপঠিয়াওঁ বিমুখ কৰি ঘৰলৈ; পঠিয়াম পোন্চাতে যমপুৰী গন্তব্য থানলৈ।

(বলৰাম আৰু জ্বৰ সেনাপতিৰ মাজত গদাযুদ্ধ লাগে; তাৰ পাচত, মুষল-যুদ্ধ আৰম্ভ হয়)

জ্বৰ।—(কৰ্ণালখাই পৰি, তদ্দণ্ডে আকৌ উঠি) উঃ! ধন্য তুমি হলধৰ! ধন্য তোমাৰ বলৰাম নাম! শত্ৰু যদ্যপি, তোমাৰ বাহুবল নশলাগি নোৱাৰোঁ। কিন্তু, আহাঁ, যুজোঁ এইবাৰ শৰ-ধনু ধৰি; থোৱাঁ এবে গদা আৰু মুষল তোমাৰ।

ৰাম।—নাভাবিবাঁ অপাৰগ মই ধনুৰ্ব্বাণলৈ; (শৰধনু লৈ) ধৰাঁ যুঁজ্ পুনৰপি, হইছোঁ সক্ষম। (ধনুৰ্ব্বাণৰ ৰণ চলিবলৈ ধৰে; জ্বৰ সেনাপতিয়ে ভস্ম-শৰ নিক্ষেপ কৰি বলৰামক বাগৰাই পেলায়)

জ্বৰ। (অভিমানত ওফন্দি) অন্তিম চাপিল তোমাৰ বলদেৱ! যোৱাঁ এবে গন্তব্য স্থানলৈ। যি জ্বৰৰ আংশিক প্ৰকোপ স্বয়ং জৰাসন্ধে সহিব নোৱাৰিছিল, সেই জ্বৰৰ পূৰ্ণ প্ৰকোপ তুমি কেনেকৈ সহিবাঁ!

ৰাম। -(চাটিফুটিকৈ) হে কৃষ্ণ! হে মোৰ মহাবাহু অনুজ! হে অভয়প্ৰদ! মই পুৰি মৰোঁ! মোৰ অন্তৰ দগ্ধ হ'ব লাগিছে! মই অন্ধকাৰ দেখিছোঁ!

শ্ৰীকৃষ্ণ।—(সবেগে বলৰামৰ কাষ চাপি) হে বলীৰ বল! হে ধৈৰ্য্যতাৰ আধাৰ! হে আকৰ্ষণৰ সঙ্কৰ্ষণ! মই এই ক্ষণত ৰণ-নীতিৰ তল। দ্বৈৰথ ৰণত তৃতীয়ৰ যোগ অবৈধ। উপস্থিত সঙ্কটত আপোনাক সহায় কৰিবলৈ মই অক্ষম। কিন্তু, কাতৰ নহ'ব; আপোনাৰ বলৰ অন্ত নাই; নিজবলেৰে নিক্ষিপ্ত ভস্মশৰ নিষ্কোষিত কৰি প্ৰত্যাক্ষেপ কৰোক। তাৰ পাচত, হে হলধৰ, আপোনাৰ অব্যৰ্থ অস্ত্ৰ হাতত লওক।

ৰাম।—(কৃষ্ণবাণীত যথাসঙ্কেত লাভ কৰি, বাওঁহাতে বক্ষস্থলৰপৰা নিক্ষিপ্ত ভস্মশৰ উভালি উঠি, সোঁহাতে নাঙ্গল তুলি লৈ) ধন্য জ্বৰ! ধন্য তোমাৰ প্ৰকোপ্! ধৰাঁ যুঁজ্, যুজোঁ ঘূৰিবাৰ।

জ্বৰ।—(আস্ফালন কৰি) হলধৰ! নহ'ল চেতন তোমাৰ! নিশ্চয়েই যাবাঁ যদি যমপুৰী, আহাঁ চাপি, লাগি চোৱাঁ আৰুবাৰ।

(জ্বৰ আৰু হলধৰে পুনৰপি যুদ্ধ কৰে; হলধৰে বাওঁহাতে জ্বৰৰ গলধনত নাঙ্গলৰ আঁকুহি লগাই লৈ, সোঁ-হাতে মুষলেৰে কোবাই জ্বৰ সেনাপতিক টানি লৈ অন্তৰ্হিত হয়)

শ্ৰীকৃষ্ণ।—প্ৰদ্যুম্ন ইবাৰ বাঢ়াঁ আগ, যথাবিধি আহ্বানি দ্বৈৰথ।

প্ৰদ্যুম্ন।—কৰিছোঁ আহ্বান। ৰৌদ্ৰবীৰ! সন্মুখীন হোৱাঁ আহি। লোৱাঁ বাছি তীক্ষ্ণ অস্ত্ৰ যি আছে তোমাৰ। ধনুৰ্ব্বাণ যুদ্ধ হওক আমাসাৰ।

ৰৌদ্ৰ।—লওঁ এই মহা অস্ত্ৰ মোৰ, মহাৰৌদ্ৰ নাম যাৰ। লৰি চোৱাঁ, কতপৰ পাবাঁ ঠাৰৰিব। পৰিণাম যমপুৰী জানিবাঁ নিশ্চয়।

(দুইৰো মাজত যুদ্ধ; ৰৌদ্ৰ ক্ৰমাৎ পিচুৰাই পৰে; যুদ্ধ কৰি কৰি দুয়ো অন্তৰ্হিত)

শ্ৰীকৃষ্ণ।—মহাৰথ সাত্যকিৰ যোৱা এইবাৰ। দ্বৈৰথ ৰণৰ নীতি নুভুলিবাঁ কেৰে।

সাত্যকি।—বৃদ্ধমন্ত্ৰী পৰিছে ভাগত সাত্যকিৰ! (কুম্ভাণ্ডৰ প্ৰতি) আহাঁ, হেৰা, নাচাঁ আহি, ক্ষন্তেক যি পাৰাঁ।

কুম্ভাণ্ড।—ভাল, নাচোঁ মই; ধৰিবাঁ তোমাৰ তাল। তালভঙ্গ হলে কিন্তু, যাবাঁ যমপুৰী থান।

(দুইৰো মাজত অসি-যুদ্ধ; সাত্যকি ক্ৰমাৎ পিচুৰাই ওলাই গৈ, ততালিকে অপৰ দিশে সোমায়হি)

সাত্যকি।—ধন্য বৃদ্ধ বীৰ! শলাগোঁ তোমাৰ অসি-চালনা কৌশল। ধন্য তুমি! মন্ত্ৰিত্বৰ সমানে তৱ বীৰত্বৰ প্ৰভাৱ। ধনুৰ্ব্বাণ ধৰাঁ এইবাৰ।

কুম্ভাণ্ড।—হেৰা, বীৰবৰ! ধন্যবাদৰ গৰাকী মই নহওঁ। মোৰ জাতীয়ত্ব হে তাৰ প্ৰকৃত অধিকাৰী। হেৰা যাদৱবীৰ! জানি লবাঁ, কামৰূপী মই; থিতি মোৰ মহাভৈৰৱত, মন্ত্ৰী মই বলিনন্দনৰ। মোৰ জাতিয়ে নাজানে, এনে বিদ্যা নাই। ছলত-বলত-কৌশলত, ঘৰত-পৰত-ৰণত-বনত সবাতে কামৰূপৰ প্ৰজা কেনে পৈণত তাৰ প্ৰমাণ চোৱাঁ। ধৰাঁ—

(দুয়ো যুদ্ধ কৰি কৰি সাত্যকিৰ প্ৰবেশ-দ্বাৰেদি প্ৰস্থান)

শ্ৰীকৃষ্ণ।—(হাঁহি হাঁহি) ইবাৰ আমাৰ যোৱা। হেৰা, সহস্ৰভুজ! সক্ষম হোৱাঁ তোমাৰ সহস্ৰ অস্ত্ৰেৰে। প্ৰথমতে, লোৱাঁ মোৰ দ্বৈৰথ ৰণ-সমাদৰ (বাণৰ হাতত ধৰি মালযুঁজৰ 'চেলামী' দিয়ে) স্থিৰচিত্তে যুঁজি যাবাঁ; অধৈৰ্য্য নহবাঁ; নুভুলিবাঁ যুদ্ধবিধি। প্ৰথমতে লাগোঁ আহাঁ, মল্লযুদ্ধ আমি।

বাণ।—(হুঙ্কাৰ ছাৰি) নালাগে বুজাব মোক। বুজোঁ মই যুদ্ধবিধি। শিকি লোৱাঁ লাগে যদি। কতনা ৰণত মই জিনিলোঁ কতনা যোদ্ধা; নীতিজ্ঞান লভিলে কতনা জনে, সীমা-সংখ্যা নাই তাৰ। শিকাওঁ তোমাকো আহাঁ, পাৰিবা শিকিব যতমানে।

শ্ৰীকৃষ্ণ।—বাণৰ সুযোগ্য বাণী। মানিছোঁ প্ৰত্যেক। সজ কথা। ধৰাঁ যুঁজ। শিকিম, কিম্বা শিকাম। অৱশ্য-সম্ভাবী কথা।

(মল্লযুদ্ধ; শ্ৰীকৃষ্ণই বাণক তলত পেলাই লৈ বুকুৰ ওপৰত বহি হাৰ মনাই এৰি দিয়ে)

শ্ৰীকৃষ্ণ।—মল্লত মানিলাঁ হাৰ। লোৱাঁ খুলি তৰোৱাল; অসিযুদ্ধ শিকাওঁ এইবাৰ।

বাণ।—(স্বগতঃ) উঃ! অদ্ভুত বল এই ক্ষুদ্ৰকায় মানৱৰ! (খাপৰপৰা তৰোৱাল উলিয়াই লৈ) ধৰাঁ, কৃষ্ণ, অসিযুদ্ধ; হইছোঁ সক্ষম।

(দুইৰো মাজত অসি-যুদ্ধ চলে; বাণে ঠাৰৰিব নোৱাৰি এৰাই লৰ মাৰি, আন পাকে আকৌ সোমায়হি)

বাণ।—ধন্য, ধন্য যদুবীৰ! শলাগোঁ তোমাক। বাহু-

অসি উভয়তে সমঅধিকাৰ তৱ। ধন্য মই, লাভ মোৰ যোদ্ধা তুমি হেন! তৃপ্ত হ'ব ৰণ-তৃষ্ণা, আংশিক যগ্যপি।

শ্রীকৃষ্ণ।—ধনুর্বাণ এইবাৰ লোৱাঁ মহাসুৰ! চক্রৰ মাহাত্ম্য আৰু দেখুৱাও চোৱাঁ—

(ধনুর্বাণ-যুদ্ধ হয়; এটি-এটিকৈ বাণৰ সহস্র অস্ত্র সুদর্শন চক্রেৰে কাটি বাসুদেৱে বলিনন্দনক নিৰস্ত্র কৰে)

বাণ।—অলৌকিক চক্রবাণ! প্রত্যক্ষ প্রমাণ পালোঁ আজি তাৰ।

শ্রীকৃষ্ণ।—হেৰা মহাসুৰ! নিৰস্ত্র যোদ্ধা অবধ্য। গতিকে, ৰণ-নীতি অনুসৰি ইমানতে ক্ষান্ত হ'ব লগাত পৰিলোঁ। এই দ্বৈৰথৰণ একেবাৰতে অন্ত নহ'ল। যোৱাঁ, অন্যতম অস্ত্রেৰে সুসজ্জিত হৈ আঁহাগৈ। আজি তোমাৰ গচ্ছিত সহস্রাস্ত্র অন্ত পৰিছে। আজিহন্তে তোমাৰ সহস্রভুজ নামৰো অন্ত পৰিল। আজিৰপৰা তুমি দ্বিভুজৰূপে পৰিগণিত হ'বাঁ।

বাণ।—ধন্য আজি মই! ধন্য মোৰ বৰ লাভ! মিলিছে বাঞ্ছিত যোদ্ধা ভাগ্যে মোৰ আজি।

(দুইৰো দুফালে প্রস্থান)

(নেপথ্যত দুই বাহিনীৰ মাজত চলি থকা ৰণৰ কোঢাল)

দানৱবাহিনী।—(নেপথ্যত) জয় বাণ ৰজাৰ জয়!

যাদৱবাহিনী।—(নেপথ্যত) জয় শ্রীকৃষ্ণৰ জয়!

দ্বিতীয় গর্ভাঙ্ক

দৃশ্য,—উষা-অন্তঃপুৰৰ বাটচ'ৰা

(দুৱৰী, প্রহৰী আৰু চোৰাংচোৱা)

দুৱৰী।—এই উৎপাতখন নো কেনেকৈ লাগিবলৈ পালে কবই নোৱাৰোঁ বুপাই!

প্রহৰী।—এৰা, মোৰ কুটুম! বোলে, "খ্রাই কাঁড়শলা ডালত উঠিল, কাঠিচেলেকাৰ মৰণ মিলিল!" কথাটো ৰজিতা খোৱা নাই নে বাৰু?

চোৰাংচোৱা।—নকবি,নকবি আৰু ককাইঁত! কেনেকৈ নো ভেলেকিবাণ মাৰি চোৰটো কেতিয়া কোন্ পাকেদি সোমালহি মই তলকিবই নোৱাৰিলোঁ!

প্রহৰী।—সইত্, সইত্। ময়ো সদায় সজাগ হৈয়ে আছিলোঁ; তথাপি কেনি নো কিটো হ'ল, গমকে ধৰিব নোৱাৰিলোঁ পাই।

দুৱৰী।—ময়ো গধূলিতে বাট দুৱাৰ মাৰি ভালকৈ সঁচাৰকাঠী লগাই থৈছিলোঁ। ৰাতিপুৱা মেলি দিওঁতেও সেইভাগেই পাইছিলোঁ। পিচে, কেনি নো সিন্ধি দি চোৰটো সোমালহি কবই নোৱাৰোঁ বুপাই!

প্রহৰী।--সেইবোৰ বাৰু হৈছে, যি হ'ব লাগে। সেইটো কোনোবা মায়াপিনীৰ কাম বুলি ৰজাঘৰেও কৈছে। কিন্তু, এই যে ৰণুৰাজাকে কন্যাপুৰত কোঁঠ মাৰি বহিছেহি, ইহঁত সোমালেহি কেনি? এটা নহয়, দুটা নহয়, জাক পাতি সোমালহি! কচোন চোৰাং ভাইটি! তোৰ গাতে আছিল নহয় সেইবোৰৰ আলেখ-লেখ চাই থকা বাবটো?

চোৰাং।-কিনো কম, ককাইটিহঁতঐ! চায়ে আছিলোঁ। দেখিছিলোঁও।

দুৱৰী।—পিচে? পিচে, কেনেকৈ নো কি হ'ল?

চোৰাং।—পিচে, আচল কথাটো এই।—ভালেমান নিলগতে মই দেখিছিলোঁ, কলা ডাৱৰ এচটাৰ দৰে উৰি অহা এই জাকটো। তাৰ পাচত, যেতিয়া দেখিলোঁ জাকটোৱে দেখোন আমাৰ নগৰৰ ফাললৈকে ঢাল লৈছে, তেতিয়াই মই লৰি গৈ অগ্নিগড়ৰ জালিগাঁতত জুইৰ বাহটো জলাই দিলোঁ গৈ। গোটেই অগ্নিগড় ভৌ-ভৌকৰে জ্বলিবলৈ ধৰিলে। মই মণিব পৰালৈকে জুইয়ে জিভা মেলি উঠিলে।

প্রহৰী।—তাৰ পাচত?

চোৰাং।—তাৰ পাচত, সেই জাকটো আৰু ইফাললৈ চাপিব নোৱাৰা হ'ল। নোৱাৰি, দখিণলৈ আঁতৰি গৈ নৈত পৰিলগৈ যেন দেখিলোঁ।

দুৰ্বী।—পিচে? তাৰ পাচত?

চোৰাং।—আকৌ, তাৰ পাচত, এখনমান তামোল খোৱাৰ পৰত, জাকটো লাহে লাহে আকৌ আকাশলৈ উঠিল। উঠি, কমাই কমাই আকৌ আমাৰ নগৰৰ ফাললৈকে আহিবলৈ ধৰিলে। এইবাৰ কিন্তু বহুত ওপৰে-ওপৰে; মেঘত লাগি যোৱা একোটি তিপচী চৰাই যেন্ দেখা গৈছিল। অগ্নিগড় জ্বলি উঠিল কাৰণে মোৰ ভয় নলগা হ'ল, মই একেঠৰে চাই থাকিলোঁ। তাৰ পাচত, সেই কমোৱা জাকটোৱে চাপি আহি আহি অগ্নিগড়ৰ পোন্ ধৰি ওপৰৰপৰা ধাৰাসাৰে বৰষিবলৈ ধৰিলে। অগ্নিগড়ৰ জুই হুমাই তাৰপৰা ধোৱাঁ ছাটি উঠি ওপৰলৈ উধাবলৈ ধৰিলে। গোটেইখন আন্ধাৰ হৈ পৰিল। মই একো নেদেখা হলোঁ! সেই ছেগতে এই উৰণীয়া দলটোৱে অগ্নিগড় পাৰ হৈ নগৰ সোমালেহি।

প্ৰহৰী!—উঃ। আতি অত্‌ভুত্‌!

চোৰাং।—নকৈছোঁ, বোলোঁ এনে অত্‌ভুত্‌ কথা পতিয়াবলৈকে টান। মই নিজ-চকুৰে দেখা মানুহটোৱেই পতিয়াবলৈ টান পাইছিলোঁ। তথাপি, আমাৰ বিষয়াৰ আগত সোপাকে বিবৰি কলোঁ গৈ।

দুৰ্বী।—কিনো কম বুপাই! কথা আটাইবোৰেই অত্‌ভুত্‌! এই চোৰসোমোৱা দিন ধৰি আজিলৈকে যি যি হৈছেমানে আটাইবোৰেই বিস্ময় মানিব লগীয়া কথা!

প্ৰহৰী।—উঃ! তথাপি যে ৰজাই নপতিয়ায়! তাতে হে মৰিছোঁ! উলটি আমাৰ গাত হে লাগেহি জগৰ! সঁচা কলেও মৰোঁ, মিছা কলেও মৰোঁ! কেনিও ৰইখা নাই!

চোৰাং।—ৰইখা নাই বুলি মই আগেয়েই ধৰি থৈছোঁ। তইঁতে হ'বলা জীয়াই থাকিবলৈ পাবি বুলি ভাবিছ?

দুৰ্বী।—ওঁ—হুঁ, নাই, নাই, নাই, জীৱনত আৰু ভেৰেসা নাই! গোটেইখন তেজেৰে বোকা হ'ল! তাৰ উপৰিও তেজেৰে নৈ বৈ গৈছে! গোটেই মানুহ-দুনুহ তেজেৰে ৰাঙলি! তথাপিতো নেৰে বুপাই!

প্ৰহৰী।—এৰা, আমাৰ কেনিও ৰইখা নাই। ৰজাই এৰিলেও ৰণে নেৰে!

চোৰাং।—নকবি আৰু ককাইঁতঐ! যোৱা দুদিনৰ দুখন ৰণত কিমান ৰণুৱা যে পৰিল তাৰ লেখ নাই। গোটেই তেজেই তেজ! তেজেই তেজ!!

দুৰ্বী।—ইমানতে বিস্ময় মানিছইঁক, আচলখন ৰণ লাগিবলৈ আছেই এথোন। সেইখনেৰে তিনিবাৰে নিবাৰ হলে চাবিচোন এইখন কন্যাপুৰ গুচি তেজপুৰ হয় নে নহয়!

প্ৰহৰী।—চাবলৈ পাম বুলি ভাবিছ হ'বলা? নিবাৰ হ'বলৈ নৌ পাওঁতেই নিপাত হমইঁক!

চোৰাং।—এৰা, তেনেহলে ৰজাৰ ডঁৰিলৈ ভয় কৰি মৰিবৰ সকাম নাই, ৰণে তাৰ আগেয়েই আমাক উদ্ধাৰ কৰিব।

দুৰ্বী।—নাই, নাই ভাবিবৰ সকাম নাই। ৰণলৈহে সাজু হ'ব লাগে। উপজিলে মৰিবই লাগে, তাৰ বাবে ভয় কৰিবৰ সকাম কি?

প্ৰহৰী।—নাই যদি, নাই, নাই বুলিলে সাপতো বিষ নাই। কিন্তু, নমৰোঁমানে গাত লাগি থকা এই নাইটো (নিজৰ নাইটোত আঙুলি দি) মুগুচে নহয়! এতেকতে, নাই বুলিলেই আছে বুলি বুজিবি; দুখ বুলিলেই সুখ বুলি জানিবি। বুইছ?

চোৰাং।—বুইছোঁ। ঠিক্ ধৰিছ ককাইটি! গাত নাইটো লাগি থকাৰ দৰে, দুখতো আনন্দটো লাগি আছে। এতেকতে, এতিয়া আমি আনন্দ্ হে কৰিব লাগে! নহয় বাৰু?

দুৰ্বী।—হয়, হয়, তেনেই হয়। পিচে, এতিয়া আনন্দ্ নো কিহেৰে কেনেকৈ কৰা হয়?

প্ৰহৰী।—কেনেকৈ, নাজান?—এনেকৈ। (দুৰ্বীক ঠলামুৰি মাৰি পাকঘূৰণি খুৱাই দিয়ে)

দুৰ্বী।—উঃ! উঃ! উঃ! দুখ পাই গলোঁ!

চোৰাং।—ঠিক হৈছে, দুখত আনন্দ্ কৰ এতিয়া!

দুৰ্ৱী।—ইঃ!—মাৰ-কিলেৰে হে আনন্দ্‌ কৰে নে? মই বোলোঁ, কোলাত-বোকোচাত উঠাঁ-উঠি কৰি ৰং-ধেমালি কৰিমইক। পিচে--

চোৰাং।—বাৰু, তেন্তে বোকোচাতে উঠোঁ। (লাফ্‌ মাৰি বোকোচাত উঠে)

দুৰ্ৱী।—(কেকো-জেকোকৈ) দেখিছ বাৰু! ই অকল মোক হে পায়!

প্ৰহৰী।—(লাফ্‌ মাৰি বোকোচাৰ ওপৰত বোকোচা উঠি) মই বাৰু দুইকো পাওঁ। (তিনিওটা বাগৰি পৰি বাগৰা-বাগৰি কৰে)

দুৰ্ৱী।—(কোনোমত্‌ প্ৰকাৰে এৰাই ওলাই উঠি) মৰ্‌ তইঁত ডবৰা-ডবৰিকৈ। নকৰোঁ মই এনেখন আনন্দ! (ফোঁ-ফোঁকৰে বেগেৰে গুচি যায়)

প্ৰহৰী!—হেৰ' ভাইটি! নাযাবি, ৰবি, নৌ হয়, আৰু আছে। (পিচে পিচে খেদি যায়)

চোৰাং।—হেৰও, ককাইটিহঁত! ৰবি, ৰবিহঁক, তিনি নহলে আনন্দৰ চকুটো নবহে; ময়ো গৈছোঁ। ৰবি, ৰবি। (সবেগে প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

দৃশ্য,—কন্যাপুৰ, বন্দীশাল

(বন্দী অনিৰুদ্ধ কুমাৰ আৰু উষাদেৱী)

উষা।—(বন্দীশালৰ দুৱাৰমুখৰপৰা) হায়! হায়! প্ৰাণধন মোৰ! এনুৱা দুৰ্গতি তোমাৰ মোৰেই কাৰণে! কাল হলোঁ হায়, অভাগিনী মই! কি মোৰ কপাল!

অনিৰুদ্ধ।—(হঠাৎ উষাদেৱীক দেখি) ইকি! প্ৰিয়া মোৰ?—প্ৰাণেশ্বৰী!

উষা।—(প্ৰাণকাতৰে) প্ৰাণেশ্বৰ!

অনিৰুদ্ধ।—কিয় তুমি অকলে ইয়াত? কিয় কৰা মোৰ হস্তে খেদ? কিয় বা কাৰণ হ'বা অপৰৰ কাৰ্য্যহেতু তুমি? কিয় বোলা এনুৱা দুৰ্গতি? কি বুলি ভাবিছা তুমি? নোহে ই দুৰ্গতি; ভাবোঁ সদ্গতি বুলি। অন্তঃপুৰৰপৰা নেদেখা যে বাহিৰৰ বিকট ব্যৱস্থা!

উষা।—নালাগে মোক যুক্তিতৰ্ক প্ৰাণেশ্বৰ! ময়ে যদি সখী চিত্ৰলেখাক দ্বাৰাৱতীলৈ পঠিয়াই ননালোঁহেঁতেন আপোনাক ইয়ালৈ, তেনেহলে আপোনাৰ এনুৱা বিলাই হ'বলৈ কেনেকৈ পায়?

অনিৰুদ্ধ।—কিনো কোৱাঁ, প্ৰিয়া হেৰা, কি বিলাই দেখিছা মোৰ? পুৰুষ মই। তাতে ক্ষত্ৰিয় সন্তান! এনেকুৱা দশা-ব্যৱস্থা আমাৰ চৰিত্ৰত সততে লগা আছেই।—এই সুখ, এই দুখ; এই যোগ, এই বিয়োগ! এইবোৰ সংসাৰৰ ছাঁয়াময়া লীলাখেলা মাথোন! এয়ে আছে বুলিয়েই হে সংসাৰত মানুহ মুগ্ধ; নতু, একাকাৰ সংসাৰ-মৰুত মানৱনিবাস নিতান্ত নীৰস আৰু অসহ হ'লহেঁতেন। খেদ নকৰিবাঁ, মোৰ প্ৰেমৰ পুতলি! ই এটা ছেদ মাথোঁ!, বিচ্ছেদ নহয়। হতাশ নহ'বাঁ; অনতিপলমে মিলিম পুনু দুয়ে।

উষা।—কিনো কম, হে নাথ, বুজনি নামানে প্ৰাণে! তথাপিতো অন্তৰত এচেৰেঙা আশাৰ পোহৰ পৰিছে দেখোন। নগৰত যাদৱী আৰু দানৱী পক্ষৰ মাজত তয়াময়া ৰণ লাগিছে। ৰণত অগণন নৰ পৰিছে। নৰৰক্তেৰে নগৰ প্লাৱিত হৈছে! নৰশোণিতেৰে নৈ বৈ গৈছে!

অনিৰুদ্ধ।—পিছে? তোমাৰ অন্তৰত আশাৰ পোহৰ বিৰিঙিল কেনেকৈ, বা কি বাবে?

উষা।—প্ৰাণনাথ! লক্ষ্য কৰি আহি আছোঁ, অদ্যাপি আমাৰ পক্ষৰেই জয়।

অনিৰুদ্ধ।—কোন্‌ পক্ষৰ? যাদৱ নে দানৱ পক্ষৰ?

উষা।—(আঁচলেৰে চকু-মুখ ঢাকি উচুপি উচুপি) হাঁ মোৰ কপাল! আজিও মোৰ পক্ষ কোন্‌ নুবুজিলে প্ৰাণেশ্বৰে! দানৱ জীয়াৰী মই। জীয়াৰী হিচাপে দানৱ পক্ষই মোৰ পক্ষ। কিন্তু, হে নাথ! আজি তো আৰু মই দানৱী জীয়াৰী নহও; আজি যে মই যাদৱী বোৱাৰী। নহও

নে ?—কওক। আগেয়ে এই প্ৰশ্নৰ উত্তৰ দিয়ক। কি যে নিদাৰুণ প্ৰশ্ন হায়!—নমৰি জীয়াই আছোঁ মই!

অনিৰুদ্ধ।—(প্ৰকৃতিস্থ হৈ) ক্ষমা কৰা প্ৰাণেশ্বৰী! তৰ্কিব নোৱাৰি কিয়ে নিদাৰুণ অপৰাধ লগালোঁ! অহঃ, সেইবাবে মোৰ প্ৰাণত অসহ্য অনুতাপ উতলিছে। ক্ষমা বিনে শান্তি নাই প্ৰিয়া! ক্ষমা কৰা।

উষা।—(লাজত তলমূৰ কৰি) হে নাথ! কোনে কৰে ক্ষমা কাক? হে প্ৰভো! এই দাসীয়ে যে সমস্তকে সঁপিলোঁ এই শ্ৰীচৰণত। এতেকে, এতিয়া নিজকে নিজে ক্ষমিলে হে হ'ব। ক্ষমা কৰিবলৈ মোৰ ক্ষমতা নাই!

অনিৰুদ্ধ।—(আপোনা-আপুনি) কিয়ে কথাৰ বান্ধ মোৰ সাদৰী প্ৰিয়াৰ! (ফুটাই) কিঞ্চিমাত! প্ৰিয়া হেৰা, কি দিম উত্তৰ?

এটি গঞা।—(বিতত্ হৈ লৰি) তেজ! তেজ! তেজ! তেজ! (প্ৰস্থান)

অনিৰুদ্ধ।—কি কৈ যায়, সৌ গঞাজনে?

উষা।—নাথ। ৰণৰ কথাকে কৈ গৈছে সি। ৰণত অসংখ্য নৰৰ অজস্ৰ ৰক্তপাত দেখি সি বিস্ময় মানি আতুৰ হৈ লৰি পলাইছে দেহি!

অনিৰুদ্ধ।—অহ! নাপালোঁ মই যোগ দিবলৈ এনেখন ৰণত! ভাগ্যহীন মই! নাপালোঁ তেজেৰে ৰাঙলী হ'বলৈ মই!

উষা।—আক্ষেপৰ কাৰণ নাই নাথ! আপুনিয়েইচোন এই ৰণৰ মূল যোদ্ধা।

অনিৰুদ্ধ।—সঁচা, প্ৰিয়া! তথাপি নপলালে তৃষ্ণা মোৰ। বাৰু, প্ৰাণেশ্বৰী! পাৰা নে ক'ব, কোন্ কোন্ যাদৱ যোদ্ধাই যোগ দিছেহি এই ৰণত?

উষা।—প্ৰাণেশ্বৰ! দেখা নাই, শুনিছোঁ; মোৰ ককা-শহুৰযুগল ৰাম-কৃষ্ণ, শহুৰদেৱতা প্ৰদ্যুম্ন কোঁৱৰ, আমাৰ ঘাই সেনাপতি সাত্যকি, আমাৰেই যাদৱ-বাহিনীৰ গুৰি ধৰোঁতা অনাধৃষ্টি আৰু আমাৰ আগৰণুৱা সুপৰ্ণ মহাবীৰ এই সকল প্ৰমুখ্যে ভালেমান যাদৱ যোদ্ধাই এই মহাৰণ ভাগে ভাগে চলাইছেহি। তাৰোপৰি, আমাৰ মাতামহীৰ পিতৃদেৱতা ভীষ্মক ৰজাদেৱৰ ৰাজ্য কুণ্ডিল নগৰৰপৰাও আহি ভালেমান বাছকবনীয়া যোদ্ধাই আমাৰ ফলীয়া হৈ এই বিচক্ষণীয়া ৰণত প্ৰাণটাকি যোগ দিছেহি।

অন্যতম গঞা।—(উধাতু খাই লৰি) উঃ! উঃ! উঃ! তেজ! তেজ! তেজ! তেজেৰে নৈ বৈ গৈছে! তেজেই ডোঙা বান্ধি বিল হৈছে! (মূৰে-কপালে হাত দি) হৰি! হৰি! হৰি!

(সবেগে প্ৰস্থান)

অনিৰুদ্ধ।—উঃ! অত ৰক্তপাত! মই কি জানি বিনাৰক্তপাতে ৰণজয় লাভ কৰিলোঁহেঁতেন!

উষা।—নহ'ব নো কিয় নাথ! এঠাইত তো নহয়, ঠায়ে-ঠায়ে ভাগ-ভাগ কৈ নেতাবৰ্গে ৰণ চলাইছে। তদুপৰি, কেইবা ঠাইতো যাদৱ আৰু দানৱ বাহিনীয়ে জুম্-জুমকৈ যুদ্ধ কৰিছে! গোটেই চহৰ তেজেৰে বোকা হৈ পৰিছে। দেখি-শুনি হিয়া বিদৰি গৈছে, নাথ!

অনিৰুদ্ধ।—আমাৰ কৰিবৰ কি শক্তি আছে প্ৰিয়া! সকলো ইচ্ছাময়ৰ ইচ্ছা! আমি দুয়ো হলোঁ তাৰ নিমিত্তকাৰণ!

(দুৱৰীৰ প্ৰৱেশ)

দুৱৰী।—(উষাদেৱীৰ প্ৰতি কাণ্ডবাণ্ডকৈ) আইদেউ! আইদেউ! ৰইথা কৰক। পালেহি, পালেহি সোৱা বিষয়া দোতা। হৈছে আৰু আইদেউ, ইমানতে আঁতৰ হওক। মই বন্দীক ৰইথা কৰক।

উষা!—বাৰু, ভয় নাই তোৰ। মই আছোঁ। নোৱাৰে কেৱেঁ একো কৰিব তোক মোৰ আগত।

দুৱৰী।—(ভৰিত দীঘল দি পৰি) নহয় আইদেউ! ৰইথা কৰক বন্দীক, আঁতৰ হওক। নহলে, মৰিলোঁ নিগমে মই আজি!

অনিৰুদ্ধ।—প্ৰিয়া! সি ঠিক কৈছে। এই বিষয়ত

ৰজাৰ আদেশত বাজে বিষয়াই আন কাকো নামানে।

উষা।—(দুৰবীক আশ্বাস দি) তথাপি, মই আছোঁমানে তই ভয় নকৰিবি; বিতত্ নহবি।

দুৰবী।—(অস্থিৰ হৈ) নহয়, আইদেউ! সেই কথাই গা নবয়। পালেহি, গা পালেহি! মৰিলোঁ, মৰিলোঁ, নিগমে ডুবিলোঁ মই!

উষা।—(কুমাৰৰ প্ৰতি সতৃষ্ণ চকুৰে চাই) বাৰু, আঁহো হে এতিয়া নাথ! আহিমগৈ আকৌ।

(উষাদেৱীৰ প্ৰস্থান)

দুৰবী।—ৰইথা পৰিলোঁ বুপাই! উঃ, উঃ, উঃ! থিতাতে মৰিছিলোঁ আজি! একে ঘাপে তিনিটুকুৰা কৰিলেহেঁতেন আজি মোক!

(বেগেৰে প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

দৃশ্য,—কন্যাপুৰ, হৰিহৰ-ৰণক্ষেত্ৰ

(হৰিৰূপী শ্ৰীকৃষ্ণ আৰু হৰৰূপী বাণ ৰজা)

বাণ।—(ৰুদ্ৰৰূপী হৰৰ বেশেৰে) ধন্য মোৰ তপস্যা! ধন্য মোৰ বৰলাভ! তাৰ ফলস্বৰূপ মোৰ সংকল্প ক্ৰমাৎ কাৰ্য্যত ফলিয়াই আহিছে, মোৰ বহুকালৰ বাঞ্ছিত ৰণ লাভ হৈছে। এই ৰণত সমুখীন হ'বলৈ আজি মোৰ এই হৰৰূপ ধাৰণ। হৰৰূপী মই আজি মুহূৰ্ত্ততে ত্ৰিভুবন জিনিব পাৰোঁ, সামান্য মানৱ দ্বাৰকানিবাসী কৃষ্ণ কোন কুটা! স্বয়ং শ্ৰীহৰিৰ লগত লৰিব পৰাকৈ হৰশক্তি লাভ মোৰ আজি। আজি মই এই ত্ৰিশূল আৰু এই বজ্ৰ-ধ্বজৰ দ্বাৰাই ব্ৰহ্মাৰ সৃষ্টি সমূলঞ্চে সংহাৰ কৰিম; ৰাথক, দেখোঁ, সৃষ্টিপালক বিষ্ণুৱে ৰাখে কি সাধ্যে।

(হৰি সদৃশ্ শ্ৰীকৃষ্ণৰ প্ৰৱেশ)

শ্ৰীকৃষ্ণ।—(হাঁহি হাঁহি বাণ ৰজাক নিৰীক্ষণ কৰি) এ, হে! সাক্ষাৎ ৰুদ্ৰৰূপী হৰ! কিবা অৰ্থে ই বেশ তোমাৰ?—সৃষ্টিনাশ হেতু? নিদিওঁ নাশিব সৃষ্টি। সৃষ্টিৰ চাঁহী এটিকো নাশিবলৈ ছেগ এৰি নিদিওঁ।

বাণ।—(হুঙ্কাৰ ছাৰি) ওঁ হুঁ! নিদিবাঁ এৰি ছেগ? দিবাঁ ৰণ হৰ স'তে? ভ্ৰান্ত তুমি আজি!

শ্ৰীকৃষ্ণ।—(হাঁহিমুখে) বাণ! ভ্ৰান্ত তুমি, নহোঁ মই। হৰৰূপ ধাৰণ কৰিলেই যে হৰ হ'ব পাৰি এই ভ্ৰান্তিত, হেৰা মহাসুৰ, তুমি মহাভ্ৰান্ত!

বাণ।—(প্ৰজ্বলিত হৈ) নাজানা নে, কৃষ্ণ, তুমি মোৰ তপস্যাৰ ফল? তপস্যাৰ ফলত মোৰ অজেয় বল লাভ বুলি? সেই বলৰ অদ্ভুত শক্তিৰে ত্ৰিভুবন জয় কৰিবলৈ মই শক্তিবান বুলি নাজানাঁ নে? আৰু, তুমি নাজানাঁ, আসন্ন সময়ত মই ৰুদ্ৰৰূপে যাকে য'তে পাওঁ সংহৰিব পাৰোঁ বুলি?

শ্ৰীকৃষ্ণ।—(ইতিকিং কৰি) বাৰু, মোকে পাইছা ইয়াতে, সংহাৰাঁ মোকে আগেয়ে; পাচেও নাশিবাঁ ব্ৰহ্মাৰ সৃষ্টি!

বাণ।—(ক্ৰোধান্ধ হৈ) কি! ব্যঙ্গ কৰাঁ ক্ষুদ্ৰকায় কৃষ্ণ তুমি মোক? নিক্ষেপিলোঁ এই বজ্ৰাস্ত্ৰ মোৰ, সহাঁ বাৰু চাওঁ,—(বজ্ৰাস্ত্ৰ নিক্ষেপ, কৃষ্ণচক্ৰৰ দ্বাৰাই খণ্ড-বিখণ্ড হৈ পৰে)

শ্ৰীকৃষ্ণ।—(স্থিৰ-গম্ভীৰস্বৰে) ইবাৰ আমাৰ পাল। চণ্ডালিবাঁ বাণাসুৰ,—

(শ্ৰীকৃষ্ণদেৱে সুদৰ্শন চক্ৰ নিক্ষেপ কৰে; বাণ মাটিত পৰি মূৰ্চ্ছা যায়)

(ৰাম, প্ৰদ্যুম্ন আৰু সাত্যকিৰ প্ৰৱেশ)

ৰাম।—(নাঙ্গলৰ আঁকুহি লগাই মূৰ্চ্ছিত বাণক লুটিয়াই ধৰি) অন্ত ইমানতে?

প্ৰদ্যুম্ন।—এয়ে তেওঁৰ অজেয় বৰলাভৰ ফল!

সাত্যকি।—অহহঃ। হৰিৰ হাতত হৰৰ পতন!

শ্ৰীকৃষ্ণ।—পৰা নাই অন্ত। আছে আৰু। উঠাঁ বাণ! লোৰাঁ তোমাৰ বাছনি বাণ এটি-এটিকৈ। তোমাৰ ৰণতৃষ্ণা পৰিতৃপ্ত নহয়মানে উঠি উঠি লাগি থাকাঁ;

তাৰ নিমিত্তে মই ছেগ দি থাকিম। উঠা, উঠা বাণ! লোৱাঁ অস্ত্ৰ বাণ।

বাণ।—(বাঘৰত গুজৰি উঠি) নাভাবিবাঁ, কৃষ্ণ তুমি, সহস্ৰ অস্ত্ৰ মোৰ নিঃশেষ হ'ল বুলি। দেখিছা এই (ত্ৰিশূল দেখুৱায়) মহাস্ত্ৰ অদ্যাপি বিদ্যমান। হৰদণ্ড এই কালান্তক অস্ত্ৰ ব্যৰ্থ কৰে, সাধ্য কাৰ জগতত ?

শ্ৰীকৃষ্ণ।—হেৰা, বাণাসুৰ! তুমি মোহবশত অনৰ্থক গৰ্জ্জন কৰিছা! সুৰে কদাপি বৃথা গৰ্জ্জন নকৰে; অসুৰৰ হে তৰ্জ্জন-গৰ্জ্জনেই সাৰ। আহাঁ, পুনৰপি মোৰ সমুখীন হৈ তোমাৰ আত্মদম্ভৰ প্ৰমাণ লোৱাঁহি। হেৰা, দিতিনন্দন! তুমি বিস্তৰ অসম্বদ্ধবাক্য প্ৰয়োগ কৰিছা। যদি বাক্য ব্যয় কৰিয়েই যুদ্ধত জয় লাভ কৰিব পাৰি, তেন্তে অস্ত্ৰ ক্ষয় কৰাৰ প্ৰয়োজন নাই, আৰু তেনেহলে তোমাৰেই জয় নিশ্চয়। কিন্তু, সন্মুখ-সংগ্ৰামত সেই কথা নৱজে। লোৱাঁ, অস্ত্ৰ লোৱাঁ; হয় মোক জয় কৰাঁহি, নহয় বসুধাতলত চিৰকাললৈ অবাঙ্মুখে শয়ন কৰাঁহি।

(বাণ-কৃষ্ণ যুদ্ধাৰ্থে উদ্যত; দেৱৰ্ষি নাৰদৰ প্ৰৱেশ)

নাৰদ।—(শ্ৰীকৃষ্ণৰ প্ৰতি কৰযোৰকৈ) হে শ্ৰীকৃষ্ণৰূপী শ্ৰীহৰি! হে সৃষ্টিপালক শ্ৰীবিষ্ণো! ৰোষ সম্বৰণ কৰোক। সৃষ্টিৰ কল্যাণাৰ্থে সাম্যৰূপ ধাৰণ কৰোক। (বাণৰ প্ৰতি) হে বাণৰূপী হৰ-মহেশ্বৰ! হে সংহাৰশক্তি ৰুদ্ৰ-শঙ্কৰ! শান্ত হওক। ক্ষান্ত হওক। উভয়তঃ আত্মমায়া উপলব্ধি কৰোক। দিব্যৰূপ ধৰি দিব্যজ্ঞানেৰে দুইকো দুয়ে বুজি চাওক। হে অভেদাত্মা ঈশ-বিম্বযুগল! নিজগুণে প্ৰকৃতিস্থ হৈ গমি চাওক, বিষ্ণু শিৱৰূপ আৰু শিৱ বিষ্ণুৰূপ; দুইৰো কোনো প্ৰভেদ নাই, দুয়ো মঙ্গলময়।

শ্ৰীকৃষ্ণ।—হে দেৱৰ্ষি! আপুনি যি ভাৱেই ব্যাখ্যা নকৰক, সৃষ্টিস্থিতিয়েই মোৰো লক্ষ্য।

বাণ।—সৃষ্টিবৈৰী নহওঁ যদিও, সাময়িক সংহাৰ কৰ্ম মোৰ পিতৃধৰ্ম; তাৰ অন্যথায় মোৰ অধৰ্মাচৰণ।

নাৰদ।—হে ঈশ-বিম্বযুগল! অৱধান কৰোক। যি আদি-মধ্য-অন্ত্যবিহীন, যি অক্ষয় আৰু অব্যয়, সেই হৰিহৰাত্মক ৰূপ আজি আপোনাসকলত বিৰাজমান। সৃষ্টি, স্থিতি, লয়—এই তিনি ৰূপৰ শেষোক্ত দুয়েই হৰি আৰু হৰ। ব্ৰহ্মাৰ সৃষ্টি, বিষ্ণুৰ পালন আৰু শঙ্কৰৰ সংহৰণ ধৰ্ম। সেই বিষ্ণুৱেই হৰি, আৰু শঙ্কৰেই হৰ। ব্ৰহ্মা, বিষ্ণু, শঙ্কৰ মূলত তিনিও এক শক্তি। উপস্থিত ক্ষেত্ৰত সৃষ্টিকৰ্ত্তা ব্ৰহ্মাক পৃথকাই ধৰিলেও, বিষ্ণু শঙ্কৰৰ-পৰা আৰু শঙ্কৰ বিষ্ণুৰপৰা পৃথক্ নহয়। সেই হেতুকেই পূৰ্ব্বে ৰুদ্ৰ আৰু উপেন্দ্ৰ এসময়ত একত্ব-প্ৰাপ্ত হৈছিল। এতেকে, মিলিতদেহ কৃষ্ণ আৰু ৰুদ্ৰক নমস্কাৰ, হৰি আৰু হৰক নমস্কাৰ; দ্বিনেত্ৰক নমস্কাৰ, ত্ৰিনেত্ৰক নমস্কাৰ! প্ৰাৰ্থনা কৰোঁ, যেন ইমানতে দুয়ে ক্ষান্ত হৈ দুইৰো আত্মলীলা অক্ষুণ্ণ ৰাখে।

শ্ৰীকৃষ্ণ।—মান্তি মই দেৱৰ্ষি!

বাণ।—তৃপ্ত হ'ল ৰণতৃষ্ণা মোৰ। বাঞ্ছোঁ ময়ো শান্তিৰক্ষা।

নাৰদ।—হে মহাসুৰ বাণ! আপুনি সহস্ৰভুজ গুচি দ্বিভুজ হোৱা বাবেও আচৰিত নহ'ব। পূৰ্ব্বেও সহস্ৰবাহু কাৰ্ত্তবীৰ্য্য এক মহাসমৰত শ্ৰীৰামচন্দ্ৰৰ দ্বাৰাই দ্বিবাহু হৈছিল। (শ্ৰীকৃষ্ণৰ প্ৰতি) হে প্ৰভো! এতিয়া হৰিহৰৰ সন্মিলনৰ যুগ্মৰূপ দৰ্শন কৰি পৰিতৃপ্ত হ'বলৈ বাঞ্ছা কৰোঁ।

(শ্ৰীকৃষ্ণৰ আৰু বাণ ৰজা পৰস্পৰৰ আলিঙ্গন)

শ্ৰীকৃষ্ণ।—এতিয়া বন্দীশাললৈ যোৱা হওক। এই বেলাতে কুমাৰক মুক্ত কৰি আনোগৈ। ইতিমধ্যত যথা-বিধি সন্ধিস্থাপন ঘোষণা কৰা হওক।

(সকলোৰে প্ৰস্থান)

পঞ্চম গৰ্ভাঙ্ক

দৃশ্য,—কন্যাপুৰ, উষা-টোল, কন্যাসম্প্ৰদান যজ্ঞ

(বলৰাম, প্ৰদ্যুম্ন, সাত্যকি, সুপৰ্ণ, অনাধৃষ্টি প্ৰমুখ্যে যাদৱবৰ্গ এফালৰপৰা, আৰু কুম্ভাণ্ড, জ্বৰ,

ৰৌদ্ৰ প্ৰমুখো দানৱবৰ্গ আনফালৰপৰা প্ৰৱেশ কৰি দুয়োদল সানমিহলি হয়হি ; তৎপূৰ্ব্বৰেপৰা পুৰোহিতে কন্যা-সম্প্ৰদান যজ্ঞৰ কাৰ্য্যত তৎপৰ থাকে।)

কুম্ভাণ্ড।—অহ, কিনো শুভদিন আজি আমাসাৰ! হৰিহৰ সন্মিলন! শৈৱ-বৈষ্ণৱ একাকাৰ! সম্বন্ধিত হয় আজি যাদৱ-দানৱ! দানৱী কুমাৰী হয় আজি বিবাহিতা যাদৱ কুমাৰ স'তে।

সুপৰ্ণ।—ইচ্ছাময়ৰ ইচ্ছা! ঈশ্বৰৰ অভিপ্ৰেত কাৰ্য্য ঈশ্বৰেই কৰাইছে।

জ্বৰ।—স্বৰূপ কৈছে আপুনি। কুমাৰ-হৰণ আৰু উষা-হৰণ তাৰ নিমিত্তকাৰণ মাথোন।

ৰৌদ্ৰ।- সঁচা হৰি-হৰ ৰণে আজি অতিপূৰৰপৰা অতি-পছিমলৈকে ভাৰতক একাকাৰ কৰিলে।

সাত্যকি।—আৰু সঁচা, ইয়াৰ পাচত, আগন্তুক কুৰুক্ষেত্ৰ-মহাৰণৰ দ্বাৰাই ভগবান শ্ৰীকৃষ্ণদেৱে অতি উত্তৰৰ-পৰা অতি দক্ষিণলৈকে ভাৰতত অনতিপলমে একছত্ৰাধীন ধৰ্ম্মৰাজ্য স্থাপন কৰি একত্বৰ চৰম চিন্ দেখুৱাব।

(উষাদেৱীক কন্যাসাজেৰে সুসজ্জিত কৰি লৈ, বিয়া-নাম গাই গাই, প্ৰজ্ঞা-চিত্ৰলেখা প্ৰমুখো সখীসৱে শোভাযাত্ৰাৰে প্ৰৱেশ কৰে; পৰৱৰ্ত্তী ভাৰৰীয়াবৰ্গ আহি প্ৰৱেশ নকৰালৈকে একেৰাহে বিয়ানাম গাই থাকে)

বিয়ানাম

এ, বাণৰে জীয়াৰী আই এ,
এ, স্বামী বৰিবলৈ যায় এ,
এ, গন্ধপুষ্পৰ মালা লৈ এ,
এ, স্বামীকে বৰিব গৈ এ॥

ত্ৰৈলোক্য মোহিনী, গজেন্দ্ৰগামিনী,
বাণ ৰজাৰে বালা (এ)।
সমাজত গই, মেৰুত উদয়,
যেন চন্দ্ৰমাৰে কলা (এ)॥

স্বৰ্গৰেপৰা কিবা, আহিলে উৰ্ব্বশী,
কিবা অপেস্বৰী হেমা (এ)।
ইন্দ্ৰৰে ইন্দ্ৰানী, চন্দ্ৰৰে ৰোহিণী,
কিবা ৰতি তিলোত্তমা (এ)॥
বাণৰে জীয়াৰী, সৰ্ব্বাঙ্গ সুন্দৰী
বহিব কেপ্ কৰা পাৰি (এ)।
একাষতে বহি, অনিৰুদ্ধ কুমাৰে
ৰব ধনুশৰ ধৰি (এ)॥
সৰ্ব্ব অলঙ্কাৰে সৰ্ব্বাঙ্গ জ্বলিছে,
নেপুৰে ধৰিছে তুলি (এ)।
অনিৰুদ্ধ কোঁৱৰে ধনুশৰ ধৰিছে,
কোনোবাই হৰিব বুলি (এ)॥
ঔৰে গছতে মোৰে বাহে ললে,
আমি পাৰি দিম থাবা (এ)।
সৰ্ব্বতিকাললৈ কুমাৰী তোমাৰে,
কুমাৰ, লৈ ঘৰলৈ যাবা (এ)॥

(শ্ৰীকৃষ্ণ, বাণ ৰজা, অনিৰুদ্ধ আৰু নাৰদৰ প্ৰৱেশ)

নাৰদ।—হে সাধ্বী সতী উষাদেৱী! তুমি যিভাৱে সখীপৰিবৃতা হৈ আহিছা (সোঁপাশে প্ৰজ্ঞা, বাওঁে চিত্ৰলেখা, পিচত সখীয়াসকল) সেইভাৱেই মূল শাৰীত থিত্ লোৱাঁ। হে যাদৱবৰ্গ! আপোনা-লোকে মূলশাৰীৰপৰা সোঁৱে ওলমি শাৰী পাতক। হে দানৱগণ! আপোনাসৱে মূলশাৰীৰপৰা বাওঁে যাদৱবৰ্গৰ সমুখীন হৈ লানী পাতি ৰওক।

(নাৰদৰ দিহামতে সকলোটিয়ে থিত্ লয়)

নাৰদ।—হে সমবেত নৰ-নাৰীমণ্ডলী! আপোনাসকল সবাৱৰে বিদিতাৰ্থে মই পুনৰপি জ্ঞাপন কৰোঁ কুমাৰী উষাদেৱী কুমাৰ অনিৰুদ্ধৰে সৈতে ইতিপূৰ্ব্বতে গান্ধৰ্ব্ব প্ৰথানুযায়ী দাম্পত্য সূত্ৰেৰে সংলগ্ন হৈ ৰৈছে ; এতিয়া মাথোন সিবিলাকৰ বৈধ্যাঙ্ক বিবাহ সম্পাদিত হ'ব। সেই অৰ্থে, মই সম্প্ৰদান ক্ৰিয়া বিধিৱতকৈ আৰম্ভ কৰি দিওঁ। আনুষঙ্গিক উৎসৱ-ক্ৰিয়াদি যথাস্থানত আপোনাসৱে মনোমতকৈ

সম্পাদন কৰিব গৈ। এতিয়া আহক, দানৱৰাজ বাণাসুৰ, আপুনি কন্যাদাতা হৈ কুমাৰী উষাদেৱীক কুমাৰ অনিৰুদ্ধৰ কৰত অৰ্পণ কৰোকহি। (যথাবিধি মন্ত্ৰোচ্চাৰণ কৰে)

বাণ।—(নাৰদৰ প্ৰতি) হে দেৱৰ্ষি! আপোনাৰ দৈৱিক বিধান শিৰোধাৰ্য্য। (বাওঁহাতেৰে উষাদেৱীৰ সোঁহাতত ধৰি ধীৰে ধীৰে গৈ নাৰদৰ কাষত থিয় দিয়ে)

নাৰদ।—(বাওঁহাতেৰে কুমাৰ অনিৰুদ্ধৰ সোঁহাতত ধৰি ধীৰে ধীৰে আগবঢ়াই আনি) কন্দৰ্পতনু কুমাৰ অনিৰুদ্ধ! তোমাক ৰতিকায়া কুমাৰী উষাদেৱীক দানৱৰাজ মহাসুৰ বাণ ৰজাই সম্প্ৰদান কৰিছে; তুমি সাদৰে গ্ৰহণ কৰা।

অনিৰুদ্ধ।—হে মুনিৰাজ! আপোনাৰ অনুজ্ঞা শিৰোধাৰ্য্য। মই দানৱৰাজৰ কন্যা গ্ৰহণ কৰিবলৈ সৰ্ব্বান্তঃকৰণে সক্ষম হৈছোঁ।

(নাৰদে পাতি ধৰা অনিৰুদ্ধৰ সোঁহাতৰ ওপৰত বাণ ৰজাই উষাদেৱীৰ সোঁহাত স্থাপন কৰি ধৰে; নাৰদ মুনিয়ে সম্প্ৰদানৰ মন্ত্ৰোচ্চাৰণ কৰে; আৰু গোপিনীসকলে উৰুলি দিয়ে)

নাৰদ।—(অনিৰুদ্ধৰ প্ৰতি) হে কুমাৰ! বোলা, স্বস্তি বোলা।

অনিৰুদ্ধ।—(অতি শুদ্ধচিতেৰে) স্বস্তি! (উৰুলি)

নাৰদ।—(উষাদেৱীৰ প্ৰতি) হে কুমাৰী! তুমি স্বামী-গুৰুক যথাসৎকাৰে হৃদয় উৎসৰ্গ কৰা।

উষা।—(অনিৰুদ্ধ কুমাৰক সেৱা কৰে)। (উৰুলি)

নাৰদ।—(অনিৰুদ্ধৰ প্ৰতি) হে কুমাৰ! এইবেলা তোমাৰ শহুৰদেৱাক সভক্তি প্ৰণিপাত কৰা। (অনিৰুদ্ধই বাণ ৰজাক প্ৰণিপাত কৰে)

বাণ।—(অনিৰুদ্ধক দাঙি ধৰি আলিঙ্গন কৰি) বাছা মোৰ! নাজানি বিস্তৰ কষ্ট দিলোঁ। সকলো পাহৰি পেলাবা যেন। আশীৰ্ব্বাদ কৰোঁ, তোমা-লোক জী-জোঁৱাই দুয়ে দীৰ্ঘজীৱন লাভ কৰি সুখৰ সংসাৰ যাপন কৰিবা।

নাৰদ।—মোৰ কৰ্ত্তব্য সম্প্ৰতি ইমানতে অন্ত পৰিছে। এতিয়া গোপিনীসকলৰ কৰ্ত্তব্য সম্পাদন কৰোক।

(প্ৰজ্ঞা আৰু চিত্ৰলেখা সখীদ্বয়ে দুপাশে ধৰি ধৰি উষাদেৱীৰ হতুৱাই যাদৱ গুৰুবৰ্গক এজন-এজনকৈ সেৱা কৰায়)

প্ৰজ্ঞা।—(বলৰামক সেৱা কৰোৱাই) সখী! এওঁ তোমাৰ পিতামহ শহুৰ দেৱতাৰ অগ্ৰজ পিতামহ শহুৰ-দেৱতা।

ৰাম।—কুশল কৰোক, কল্যাণ কৰোক, সু-পুত্ৰৱতী হোৱা। (উৰুলি)

চিত্ৰলেখা।—(শ্ৰীকৃষ্ণদেৱক সেৱা কৰোৱাই) হে সখী! এওঁৱেই তোমাৰ ককা-শহুৰদেৱতা ভগৱান শ্ৰীকৃষ্ণ।

শ্ৰীকৃষ্ণ।—পতিপৰায়ণা হোৱা। তোমাৰ পুত্ৰ যদুবংশধৰ হওক। (উৰুলি)

প্ৰজ্ঞা।—(প্ৰদ্যুম্ন কোঁৱৰক সেৱা কৰোৱাই) সখী! এওঁ তোমাৰ শহুৰদেৱতা; তোমাৰ স্বামীগুৰু অনিৰুদ্ধ কুমাৰৰ জন্মদাতা পিতৃ।

প্ৰদ্যুম্ন।—পতিপ্ৰাণা হোৱা। দাম্পত্য সুখত তোমালোকৰ সংসাৰ মধুময় হওক। (উৰুলি)

শ্ৰীকৃষ্ণ।—হে মুনিশ্ৰেষ্ঠ দেৱৰ্ষি নাৰদ! এই ছেগতে এজন সুবিজ্ঞ কৃতী পুৰুষক ৰাজসম্ভাৰ দানেৰে মান ধৰিব খোজোঁহক। (কুম্ভাণ্ডৰ প্ৰতি) হে মন্ত্ৰীৰাজ, সুখত কুম্ভাণ্ড! তোমাৰ স্বকৃত কাৰ্য্যকলাপৰ বিষয়ে অৱগত হৈ আমি পুলকিত হৈছোঁহক। তাৰে নিদৰ্শন স্বৰূপ তোমাক মই বাণ-ৰাজ্যৰ অঙ্গীভূত শোণিতপুৰৰ অন্তৰ্গত এই কন্যাপুৰ ৰাজ্যাংশ দান কৰিছোঁ। তুমি বাণ ৰজাৰ অধীনে এই ৰাজ্যাংশৰ অধিপতি হোৱা। আশা কৰোঁ, দানৱৰাজ বাণাসুৰৰ দ্বাৰায়ো এই প্ৰস্তাৱ পৰিগৃহীত হ'ব।

বাণ।—মই পৰম প্ৰীতিসহকাৰে দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণদেৱৰ এই ৰাজনীতিমূলক জ্ঞানগৰ্ভ প্ৰস্তাৱ গ্ৰহণ কৰিছোঁ।

কুম্ভাণ্ড।—(বিনয়াৱনত হৈ) অযোগ্য যদ্যপি, মই শ্ৰীহৰি বাসুদেৱৰ অনুজ্ঞাসূচক প্ৰীতিদান কৃতজ্ঞচিত্তেৰে

আৰু সভক্তিৰে গ্ৰহণ কৰি, মহাসুৰ বাণ ৰজাৰ অধীনে কন্যাপুৰৰ শাসনভাৰ গ্ৰহণ কৰিছোঁ।

নাৰদ।—ইমানতে মধুৰেণ সমাপয়েৎ! এতিয়া মিত্ৰকুল দুইৰ প্ৰতিনিধিবৰ্গে সংপ্ৰীতি-বিদায় লোৱা-লুই কৰি, বৰ-কন্যাৰ শোভাযাত্ৰালৈ সষ্টম হ'ব লাগে। (যাদৱ আৰু দানৱ প্ৰতিনিধিবৰ্গে আদৰৰ আলিঙ্গনেৰে বিদায় লোৱা-লুই কৰি শোভাযাত্ৰালৈ সষ্টম হয়।)

পট পৰিৱৰ্ত্তন

(অপেশ্বৰাৰ গীত)

সাহানা—ঝাঁপতাল

তৰুণ অৰুণে, আহা, কৰুণ কিৰণে,
শান্তিৰে বুৰায় সৃষ্টি উষাৰ মিলনে॥
কোটি ব্ৰহ্মাণ্ডৰ ছবি, উদয় কুমাৰ ৰবি,
উষা-জেউতিৰে মিলি জীৱনে-মৰণে।
প্ৰেমৰ চানেকি ৰয়, সংসাৰ আনন্দময়—
কুমাৰ-হৰণ স'তে উষাৰ হৰণে॥

য ব নি কা পা ত

লাচিত বৰফুকন

পাতনি

অসাধাৰণ ৰাজনীতিজ্ঞ মহাপুৰুষ চক্ৰধ্বজসিংহ স্বৰ্গদেৱে পাতি লোৱা দুৰ্জ্জয় শৰাইঘাটৰ মহাৰণৰ চিত্ৰ আঁকি দেখুৱাটোৱেই এই নাটকৰ যাই উদ্দেশ্য। সেই অৰ্থে, এই কাহিনীৰ নায়ক কবি যাইকৈ দুটি চৰিত্ৰ সজাব পাৰি :—(১) চক্ৰধ্বজসিংহ আৰু (২) লাচিত বৰফুকন। পিচে, চক্ৰধ্বজসিংহ স্বৰ্গদেৱে ৰণ পাতিলে যদিও, আচল 'শৰাইঘাটৰ ৰণ' তেওঁ দেখিবলৈ নাপালে, তেওঁৰ পৰবৰ্ত্তী স্বৰ্গদেৱ উদয়াদিত্যৰ কালত হে শৰাইঘাট ৰণক্ষেত্ৰত অসমীয়াৰ বিচক্ষণ ৰণকুশলতা প্ৰকাশ পায়; আৰু লাচিত বৰফুকন হে আৰম্ভণৰেপৰা সামৰণিলৈকে শৰাইঘাটৰ মহাৰণত নায়কৰূপে লিপ্ত আছিল। গতিকে, এই গ্ৰন্থৰ নাম 'লাচিত বৰফুকন' ৰখা হ'ল।

গদ্যত 'গাওঁবুঢ়া' আৰু 'টেটোন-তামুলি' নামেৰে দুখন ধেমেলীয়া সৰু নাটক ৰচনা কৰা হৈছিল যদিও, ইয়াৰ আগেয়ে ডাঙৰ নাটক আমি গদ্যত ৰচনা কৰি পোৱা নাই। এইখনো অসমীয়া সাহিত্যক্ষেত্ৰত মোৰ স্নেহাস্পদ ডেকা লগৰীয়া শ্ৰীমান্ সৰ্ব্বেশ্বৰ শৰ্ম্মা বৰুৱা বোপাদেৱৰ অনুৰোধৰ ফল হে বুলিব লাগে; আৰু সু-দিহাৰ বল নোপোৱা হলে, অনতিপলমে 'লাচিত বৰফুকন' পোহৰলৈ ওলোৱাৰ সম্ভাৱনা নাছিল। আৰু, এই গ্ৰন্থৰ ভেঁটি চোঙাওঁতে 'উষা'ত প্ৰকাশিত আমাৰ সুযোগ্য সমনীয়া বন্ধু শ্ৰীযুত হেমচন্দ্ৰ গোস্বাঁইদেৱৰ 'শৰাই ঘাটৰ যুদ্ধ' আৰু উক্ত ডেকা বন্ধুৰ 'লাচিত বৰফুকন' শীৰ্ষক প্ৰবন্ধ দুটিৰপৰা যথেষ্ট উপকৰণ বুটলি লোৱা হৈছে; সেই বাবে ইয়াতে দুইৰো শলাগ লোৱা হৈছে। বুৰঞ্জীমূলক নাটক ৰচনা কৰাত যি বঢ়া-টুটা দোষাদোষ ঘটিব পাৰে, তাৰ বাবে এই পাতনিতে গুণগ্ৰাহী ৰাইজৰ ওচৰত ক্ষমা বিচাৰিলোঁ। ইতি

তেজপুৰ, অসম
২৩ ভাদ, ১৮৩৭ শক

বিনীত
শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

দ্বিতীয় তাঙৰণৰ পাতনি

'লাচিত বৰফুকন' নাটক ভালেমান দিন ছপাৰ বাজ হৈ, পাবলৈ নোহোৱা হৈ আছিল। নানা কালৰপৰা গ্ৰাহকৰ ওপৰা-উপৰিকৈ 'অৰ্ডাৰ' পোৱা স্থলতো এই পুথি যোগান দিব পৰা নহৈছিল; কাৰণ, আমি আমাৰ আন কেইখনমান ডাঙৰ গ্ৰন্থ প্ৰকাশ কৰাত ব্যস্ত থকা হেতুকে ইয়াৰ নতুন তাঙৰণ উলিয়াবলৈ ছেগ ধৰিব পৰা নাছিলোঁ। এতিয়া, উপস্থিত মহাৰণৰ আলমত জাতীয় বীৰ-পূজাৰ সময়োপযোগী অভিনয় কৰিবলৈ "লাচিত বৰফুকন' নাটকৰ অত্যাৱশ্যক বুলি ৰাইজে আৰু চৰকাৰে টানি ধৰাত, ইয়াৰ দ্বিতীয় তাঙৰণ অনতিপলমে উলিয়াবলৈ আগ বঢ়া হৈছে।

'থিয়েটাৰ' পতা 'ষ্টেজ'ৰ সুচলাৰ্থে আগৰ আসোঁৱাহ-বোৰ গুচাবলৈ নাটকখনত হাত ফুৰাওঁতে ঠাই বুজি বঢ়া-টুটা ঘটিছে; ফলত পুথিৰ কলেৱৰ অলপ বাঢ়িছে। এইবাৰ আগৰ বৰ্ণাশুদ্ধি দোষাদোষ পৰিশোধন কৰাৰ উপৰি, ৰাইজৰ মনোৰঞ্জককৈ নাটকখনৰ ভাষা আগতকৈ প্ৰাঞ্জল কৰা গৈছে। ইতি—

'পদ্মকুটীৰ', তেজপুৰ, অসম
৭ ভাদ, ১৮৬৪ শক

গ্ৰন্থকাৰ

উছর্গা

এই

গ্ৰন্থৰ নায়ক

লাচিত বৰফুকনৰ

অসাধাৰণ প্ৰতিভা বিকাশৰ

বিশিষ্ট স্থল

শৰাইঘাটৰ ৰণক্ষেত্ৰ

চিঁকনাই 'উষা'ৰ পোহৰত উলিয়াওঁতা

সাহিত্যক্ষেত্ৰত

মোৰ

প্ৰিয়তম লগৰীয়া

একষ্ট্ৰা এচিষ্টেণ্ট কমিচনাৰ,

পণ্ডিত ৺হেমচন্দ্ৰ গোসাঁইদেৱলৈ

তেওঁৰ

প্ৰত্নতাত্ত্বিক অনুৰাগ

আৰু

তদৰ্থে আজীৱন অহোপুৰুষাৰ্থৰ

বঁটা স্বৰূপে

ইপাহি

প্ৰীতি-উপহাৰ

গ্ৰন্থকাৰ

ভাওবিলাক

পুৰুষ

চক্ৰধ্বজসিংহ	অসম দেশৰ ৰজা, আহোম স্বৰ্গদেৱ
আতন বুঢ়াগোহাঞি ডাঙৰীয়া	স্বৰ্গদেৱৰ ঘাইমন্ত্ৰী
লাঙ্গিচং বৰগোহাঞি ডাঙৰীয়া	„ চ'ৰাৰ মন্ত্ৰী
ভগা বৰপাত্ৰগোহাঞি ডাঙৰীয়া	„ চ'ৰাৰ মন্ত্ৰী
লাচিত	ঘোঁৰা-বৰুৱা, পাচত বৰফুকন
চক্ৰপাণি	ৰাজখোৱা বিষয়া
গন্ধৰ্ব্বনাৰায়ণ	কোঁচ ৰাজকোঁৱৰ
চন্দ্ৰনাৰায়ণ	দৰঙ্গী ৰাজকোঁৱৰ
উদয়াদিত্য	চক্ৰধ্বজসিংহৰ ভায়েক, আহোম স্বৰ্গদেৱ
মাধৱচৰণ	বৰফুকনৰ কটকী
ৰামসিংহ	মোগলৰ বৰসেনাপতি
আওৰংজেব	দিল্লীৰ পাটচাহ
চৈয়দ ফিৰুজ	গুৱাহাটীৰ মোগল থানাদাৰ
চৈয়দ চানা	মোগল সেনাপতি
ৰচিদখাঁ	মোগল সেনাপতি
চৰিপ খা	মোগল সেনাপতি
অজিতচিং	ৰামসিংহৰ গা-চোৱা
ৰঘুনাথচিং	মোগল সেনাপতি
নচৰৎখাঁ	মোগল সেনাপতি
পণ্ডিতৰায়	ৰামসিংহৰ কটকী
নৰ্ত্তম শৰ্ম্মা	ৰণৰ ক্ষণ গণনা কৰোঁতা
পানীফুকন	আহোম সেনাপতি
থাৰঘৰীয়া ফুকন	আহোম বিষয়া
নেওগ ফুকন	অসমীয়া বিষয়া

দূত, তুৰৰী, গীয়া, তথীয়া, মগনীয়া, সৈনিকগণ, ৰণুৱা।

তিৰোতা

ৰমণী গাভৰু	আহোম ৰাজকুমাৰী
পিজলা গাভৰু	লাচিত বৰফুকনৰ জীয়েক
আমিনা	মোগল অন্দৰমহলৰ লিগিৰী
আঘনী	ৰমণী গাভৰুৰ বেটী
কেতেকী	পিজলা গাভৰুৰ বেটী

নাচনী, লিগিৰী ইত্যাদি

লাচিত বৰফুকন

প্ৰথম অঙ্ক

(গীত গাই গাই দুফালৰপৰা দুই গায়িকাৰ প্ৰৱেশ)

প্ৰস্তাৱনা গীত

ভূপালী—ঢিমা তেতালা

বাজে আপুনি, পুৰণি বীণা, শুনি কি আবেগে আতুৰ প্ৰাণ।
ৰিণিকি ৰিণিকি, হিয়াত বাজিছে, পাহৰা সুৰৰ মধুৰ তান॥
উষাৰ কিৰণে, পূৱে পোহৰোঁতে, আহি উঠি সুৰে মলয়া লগতে,
ওপচায় হিয়া, নতুন উলাহে,—গোৱাঁ সকলোৱে জাতীয় গান॥

(গাই গাই দুই গায়িকাৰ দুফালে প্ৰস্থান)

(পট পৰিবৰ্ত্তন)

প্ৰথম গৰ্ভাঙ্ক

ৰাজবাট,—ৰুগীয়া, দুখীয়া, মগনীয়া

ৰুগীয়া।—(লাখুটিত ভিৰ দি বৈ) হে মোৰ ঈশ্বৰ! মাৰি নিলেও ভাল আছে, কত নো লেলাত ভুঞ্জিম আৰু! গাৰ অৱস্থা এই, তাতে তিনি সঁজীয়া লঘোন; গোটেইখন ধুঁৱলি-কুঁৱলী দেখিছোঁ! উঃ ৰাম! (বহে)

দুখীয়া।—কণা-বিধতাই এইখন কপালত নো কি লেখিলে ক'ব নোৱাৰোঁ, মোৰ আৰু দুখেই সুগুচিল। গাত কাপোৰ নাই, পেটত ভাত নাই, হাতত বিত্ নাই;—জীৱন ধৰোঁ কেনেকৈ? তাতে অকল এটা পেটলৈ নহয়, আৰু চাইটালৈ আঁজুৰিব লাগে! অস্, অস্, অস্, ইয়ালৈকে চৰ্জিলাঁ মোক ঈশ্বৰ!

(এটা মগনীয়াৰ প্ৰৱেশ)

মগনীয়া।—হে মোৰ দৌতাইত! কি আছে খুদ্-কণ এটা দে ইত ঐ! আজি তিনি দিন কণ এটা পেটলৈ যোৱা নাই; জীৱ যায় এতিয়া! গুণ নহয় যদি, ধৰম হ'ব, মোৰ ঈশ্বৰইত!

দুখীয়া।—ভাল তয়ো বোপাই! তই নো আমাৰ গাত দেখিছ কি, আছে কি দিবলৈ? তই ছ সঁজীয়া, ময়ো চাৰি সঁজীয়া লঘোনীয়া, কাক কোনে পুতৌ কৰে এতিয়া!

ৰুগীয়া।—মোৰ ফাললৈ চকু নিদিলেই ভাল, মোৰ সোণাই! কি দিম, কি আছে, হাড়-ছাল সাৰ! থকাৰ ভিতৰত ৰোগৰ বাহটো।

মগনীয়া।—এৰা, দেখিছোঁ মোৰ লগৰীইত; পিচে, কিনো কৈছোঁ, কিনো কৰিছোঁ ক'ব নোৱাৰোঁ। পেটৰ পোৰণিত গা আচন্দ্ৰাই কৰিছে! নমৰোঁও, নিজঁওও, উপায়-বুধি নাই!

ৰুগীয়া।—সঁচা, মোৰ সোণাই, আমাক দেখিলে যমো পলায়! যমৰ নগৰতো আমালৈ ঠাই নাই হ'বলা? পভু,' ইয়াল'কে চৰ্জিলাঁ আমাক!

দুখীয়া।—ভাল কৈছ। যমৰ নগৰতো ৰজা-বি[illegible] বিচাৰে, সিদিনা সেয়া আমাৰ 'ভগনীয়া' স[illegible] নিলেহি, নেদেখিলি?

মগনীয়া।—এ, নক'বি আৰু তেওঁৰ কথা মোৰ ককাই! তেৱেঁই তো জীয়াতে-মৰা কৰি থৈ গ'ল প্ৰজাক। সেইজনা ৰজা পাটত উঠিবৰ দিন ধৰি ৰাইজৰ চিৰি মৰি আহিবলৈ ধৰিলে। তাৰ উপৰি, মছলমানক ধন-সোণ, বয়-বস্তুৰে সৈতে বলে নোৱাৰাকৈ চই শোধাবলৈ গাত লৈ প্ৰজাক জীয়াই জীয়াই যমৰ আলহী কৰি থৈ গৈছে।

দুখীয়া।—ভাল ধৰিছ কথাটো তই। মছলমানে আগেয়েই পাৰেমানে লগত এসোপা চুঁচি নিলে; এতিয়া, বছৰি দি থাকিবলৈ নো দেশখনত বাৰু ক'ৰপৰা ওলাই থাকিব? সেই হে দেশ আকালে উছন নিয়াবলৈ ধৰিছে।

মগনীয়া।—এৰা, এৰা, উছন নগৈ কৰিবি কি? একঠা চাউলত টকাটো দিবলৈ ক'ৰ পাবি! টেটুত ল'ৰা-ছোৱালী এথোপা নথকা হলে দেশ ছাৰি বিদেশলৈ হে গুচি গলোঁগৈহেঁতেন।

ৰুগীয়া।—এ, নক'বি সেই কথা। কপালত থকাটো কেনেকৈ গুচাবি? চাপৰিলে মেঘ নেৰায় মোৰ সোণাই! যেই হওক, এতিয়াৰ জনা স্বৰ্গদেউৰ দিনত বতৰ এফেৰি মুকলি হ'ব যেন মনত ধৰিছে।

দুখীয়া।—এঃ, থ, কেনেকৈ জানিছ তই?

ৰুগীয়া।—নহয়, নহয়, সঁচাকৈয়ে এওঁ স্বৰ্গদেৱে প্ৰজাৰ দুখলৈ চাইছে হেনো।

মগনীয়া।—এঃ, থৈ দে। বোলে-মোমাই মৰক, ভূতক পাচে পাওক। খাবলৈ নাপাই মৰোঁৱেই, আকৌ দুখ গুচিব কেতিয়াকৈ? যাওঁ, মোৰ ককাইহঁত, চুঁচৰি-বাগৰি ঘৰচেৰেকত মাগি চাওঁগৈ।

(প্ৰস্থান)

দুখীয়া।—এৰা, যাবহে লাগে আমিও। (প্ৰস্থান)

ৰুগীয়া।—ব'ল, মোৰ সোণাইহঁত, গৈছোঁ ময়ো পৰি-ধৰি। উঃ উঃ উঃ, ধাতু যায়েই নে কি ঐ!

(বিপৰীত বাটে উলটিবলৈ ৰুগীয়া কেইখোজমান আগ বাঢ়ে আৰু ছদ্মবেশী চক্ৰধ্বজে ধীৰে ধীৰে প্ৰৱেশ কৰে)

ৰুগীয়া।—(স্বগতঃ) এওঁ বা কোন্? যেয়ে হওক, মানুহ জন টনকিয়াল দেখিছোঁ। এওঁৰপৰা পাই-পইচা এটি পাবৰ আগন্তুক আছে। (ফুটাই) দোতা-ঈশ্বৰ, এই ৰুগীয়া মগনীয়াক এফেৰি কিৰ্পা কৰক। তিনি সঁজীয়া লঘোনত মৰোঁ এতিয়া, দোতা!

চক্ৰধ্বজ।—এঃ, এঃ, দেহি! বাৰু লৌ, ল। (টকা দিয়ে)

ৰুগীয়া।—(আনন্দত বিহ্বল হৈ) উ-ঐ, মোৰ বিধাতা! ভগৱন্তে তোমাক জয়-জয় কৰক, মোৰ দোতা। ভাল তৰালাঁ আজি মোক ঈশ্বৰ!

চক্ৰধ্বজ।—বাৰু, হৈছে, থ। সি কেইটা-কোন্? ক'লৈ গৈছে সিহঁত?

ৰুগীয়া।—সিহঁতো মোৰে নিচিনা দুভগীয়া। আকালত হাহাকাৰ কৰি ফুৰিছে। খুদ্-কণ এটা পাওঁ বুলি গৈছেগৈ সোৰা মাগিবলৈ।

চক্ৰধ্বজ।—বাৰু, যা এতিয়া। সেই টকাটোৰে তোৰ কেইদিন যাব?

ৰুগীয়া।—তেহেলৈ যি হওক দোতা, দুদিনমানলৈ তেও ৰইখা পৰিলে। আধাপেটীয়াকৈ আৰু এসঁজীয়া হৈ চলিম। ভাল, আহোঁ হে এতিয়া। সেৱা দোতা! (প্ৰস্থান)

চক্ৰধ্বজ।—(ক্ষন্তেক টলকামাৰি ৰৈ) হায়, মোৰ প্ৰজাৰ বিপত্তিৰ আৰু সীমা নোহোৱাত পৰিল। আকালত ৰাজ্যজুৰি হাহাকাৰ! কিন্তু সিফালে মোগলে চই পেচ্‌কচ্ চুঁচিবই লাগিছে! উঃ, উঃ, উঃ, ইমানতো আমি কাপুৰুষৰ দৰে সহি আছোঁ! বাৰু, দেখোঁ, কি কৰিব পৰা যায়। (প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

দিল্লী,—পাটচাহৰ অন্দৰমহল

ৰমণী গাভৰু (অকলে)

বিৰহ-গীত

কানাড়া মিশ্ৰ—একতালা

লেখি আকাশৰ ছবি, ভাবোঁ বহি বহি,
প্ৰাণ-সখী মোৰ গ'ল এৰি।
আমন-জিমন, জোনাই বয়ণ,
দেখি মোৰ মন যায় উৰি॥
কান্দোঁ মনে মনে, মাতোঁ ঘনে ঘনে,
ঘূৰি লগ ধৰোঁ কেনে কৰি;—
নেদেখি এতিয়া, ফাটে মোৰ হিয়া,
থাকোঁ কিনো মতে প্ৰাণ ধৰি॥

—(নিটাল মাৰি ৰয়)

ৰমণী।—কাৰ দেশ? কাৰ ঘৰ? ক'ত মই?—যি দেশত মোৰ জন্ম, সেই দেশ ই নহয়। যি ঘৰত মই পালিত, সেই ঘৰ ই নহয়। য'ত জগতৰ সৌন্দৰ্য্য একে ঠাইতে দেখোঁ, সেই ঠাই ই নহয়।

ই বুকৰ স্বদেশ নহয়, নিলগৰ পৰদেশ। এইখন সেই মোৰ আপোন ঘৰ নহয়, লোকৰ পৰঘৰ। ইয়াত অসমৰ অতুলন শোভা নাই, চউপাশে চকুত আমনি লগোৱা দৃশ্য হে! যাকে দেখোঁ তাৰে ওপৰত খং উঠি আহে, কাকো দেখিবৰ মন নাযায়, কাৰো মাত শুনিবৰ মন নাহে! অকণমান মাথোঁ ভাল পাওঁ আমিনাজনীক, তাইৰ গান শুনিবলৈ। এনে অৱস্থাত আকৌ বিবিহঁতে মোক বুজাব-বৰাবলৈ আহে! আজি মই বাজীকৰৰ সজাত বাঘিনী বুলি সিহঁতে নাজানে! জনা হ'লে, এই ঘৃণনীয় মোগল ৰাজপৰিয়ালটোৰ তিৰোতা-বিলাক এজনী-এজনীকৈ মোৰ ওচৰত চুঁচৰিবলৈ নিতৌ নাহিলহেঁতেন। জনা হ'লে, সিহঁতে মিঠা মুখেৰে, নম্ৰ ভাৱে, বিবিধ প্ৰলোভন দেখৱাই মোৰ মন পাবলৈ যত্ন নকৰিলেহেঁতেন। সিহঁতে নাজানে, জন্মভূমিৰ বিৰহত মোৰ প্ৰাণ কেনেকৈ কান্দিছে; সিহঁতৰ অনুভৱ কৰিবৰ শক্তি হোৱা নাই, স্বজাতিৰ চিন্তাই মোৰ অন্তৰত কেনে ভাৱে অগ্নি জ্বলাইছে, সিহঁতৰ ধাৰণা হোৱা নাই, মোৰ দেশদ্ৰোহী জাতি-বৈৰীৰ প্ৰতি মোৰ হিয়াত জাতক্ৰোধ কেনে ভীষণভাৱে উধাইছে; নহ'লে, নীচ, নিলাজ, নিৰ্ব্বোধহঁতে নিতৌ একেটা কথাৰে আহি মোৰ ককৰ্থনা নুশুনিলেহেঁতেন। নীচাশয়-হঁতে জানো ভাবিছে যে, সিহঁতৰ কপট আৰু অসাৰ প্ৰলোভনে মোক টলাব পাৰিব,—সেই কাপুৰুষ পাটচাহ-পুত্ৰক মোৰ পৱিত্ৰ দেহা উছৰ্গিবলৈ মোৰ প্ৰবৃত্তি হ'ব! কিন্তু পাষণ্ডহঁতে জনা নাই, এই হিয়াৰ সহনী কিমান, এই মনৰ বান্ধনী কেনে; এই প্ৰাণ থাকেমানে এই দেহা ঘৃণিত বিজাতীৰ স্পৰ্শত কলুষিত নহয়; মকৰাৰ জালত সিংহী পৰি অদ্ভুত ঘটনা ঘটালেও, মোগলৰ মায়া-জালত ৰমণী নপৰে, ই ধ্ৰুৱ। যাওক সি কথা, যিজনৰ হস্তে এই প্ৰাণ, সিজনৰ কোলাত বা আগত যেন ই মাৰ যায়; যি দেশৰ ৰক্ত-মাংসেৰে এই দেহা, সেই দেশৰ মঙ্গলৰ অৰ্থে যেন ইয়াৰ ক্ষয় হয়; যি ভূমিৰ সাৰবস্তুৰে সৈতে এই শৰীৰৰ অস্থি-চৰ্ম্ম, সেই ভূমিত যেন ই লয় পায়; ভগৱন্তৰ চৰণত মোৰ এই কামনা। (মৌন)

অহ, সেই পাষণ্ডহঁতৰ নেৰানেপেৰা চোঁচনিত মোৰ জন্মভূমিৰ সাৰ-শক্তি জানো অন্ত হ'বলৈ ধৰিছে, দেশত প্ৰজাৰ জানো হাহাকাৰ লাগিছে! আমাক বন্ধোৱা দিয়াৰ লগতে পাষণ্ডহঁতে কত ধন, কত সোণ, কত কি সম্পত্তি চুঁচিলে তাৰ অন্ত নাই, তদুপৰি এতিয়া বছৰি অতিপাত নিৰিখে পেচকচ্ আৰু চই দি থাকিব লগাত পৰিছে। মোৰ দুখুনী জন্মভূমিয়ে পৰক চহকী কৰিবলৈ বছৰি এই দৰে নো বাটি-উৎপন্ কিমান দিব, দুখীয়া অসমীয়া প্ৰজাই নো তাৰ বিষময় ফল আৰু কিমান ভুঞ্জিব, ভাবিলে প্ৰাণ মৰি আহে! জয়ধ্বজ সিংহ ৰজাই এই দৰে অসমক মাৰি মৰিব বুলি নাভাবিছিলোঁ! যি হওক, এতিয়া নিৰাশ হ'বৰ সকাম নাই, ই তাৰ সময়ো নহয়। কি উপায়েৰে জন্মভূমিৰ উদ্ধাৰৰ বাট উলিয়াব পাৰি, এতিয়া তাৰ চিন্তাৰ হে সময়। মোৰপৰা যদি মোৰ স্বদেশ আৰু স্বজাতিৰ এই আপদৰ কালত এফেৰি-মানো উপকাৰ হয়, তেনেহলেও মোৰ জনম সাৰ্থক মানিম। (মৌন)

(আঘনী লিগিৰীৰ প্ৰৱেশ)

আঘনী।—এ, আই, আইদেউচোন অকলে! অকলে-অকলেচোন কিবাবোৰ কৈ আছে! মই বোলোঁ কাৰে নো কথা পাতেঐ, চাওঁগৈচোন।

ৰমণী।—অকলে নহয় বাই, লগৰেই আছোঁ।

আঘনী।—ঔ আই! ক'তাচোন, কোনো নাই?

ৰমণী।—আছে।

আঘনী।—ক'ত আছে? (ইফালে-সিফালে জুমি চায়)

ৰমণী।—তই নেদেখ।

আঘনী।—মই নো ইমান চকুৰে নমনা হলোঁ নে? আপোনাকচোন দেখিছোঁ!

ৰমণী।—মোৰ দেহাটো দেখিছ তো।

আঘনী।—আৰু নো কি দেখা নাই ?

ৰমণী।—মোৰ মনটো।

আঘনী।—অ, সেইটো হয়। পিচে, মনটো নো কোনো-বাই দেখে নে ?

ৰমণী।—নেদেখে, কিন্তু লগ পায়।

আঘনী।—লগ নো পায় আকৌ কেনেকৈ ?

ৰমণী।—কিয়, গমি চাচোন, যেতিয়া তোৰ মনটোৱে অ'লৈ যাওঁ ত'লৈ যাওঁ কৰে, আৰু আগৰ কথাবোৰ সোঁৱৰাই দিয়ে, তেতিয়া জানো তই মনক লগ নাপাৱ ?

আঘনী।—ওঁ, হওঁতে হয়; এৰা, প্লাওঁ-পাওঁ যেন লাগি যায় হয়।

(বাহিৰৰপৰা কোনোবাই দুৱাৰ হেঁচোকে)

ৰমণী।—কোনোবা আহিছে। বাই, যাচোন চাগৈ।

আঘনী।—কোন্ নো আহেঐ! আহিয়ে থাকে আৰু!

(বুঢ়ীয়ে দুৱাৰ মেলি দিয়ে; আমিনাৰ প্ৰৱেশ)

ৰমণী।—অ' আমিনা! আহাঁ, বহাঁ। বাই, বহিবলৈ দেচোন।

আমিনা।—তচ্‌লিম (চেলাম দিয়ে)। (বুঢ়ীয়ে আসন পাৰি দিয়ে) ভাল, বহোঁ বাৰু। পিচে, আপোনাৰ টবিয়েট ভাল নে ?

ৰমণী।—এৰা, ভালে-বেয়াই মাজতে।

আমিনা।—মাজতে নো ৰয় কেনেকৈ আকৌ ?

ৰমণী।—কিয়, টবিয়েট মানে তেমোলোকে গা-মন দুইকো বুজোৱাঁ নহয় ?

আমিনা।—হয়। পিচে ?

ৰমণী।—পিচে, গা যদি ভালে আছে, মন ভালে নাই; মন যদি ভালে আছে, গা ভালে নাই। সেই দেখি ভালে-বেয়াই মাজতে।

আমিনা।—সঁচা। আপোনাৰ কথা আটাইবোৰ অৰ্থ-লগা। শুনিবলৈ ভাল লাগে। সেই হে আহোঁ; আপুনি চাগৈ আমনি পায় ?

ৰমণী।—অকল তুমি আহিলে আমনি নাপাওঁ, আমিনা!

আমিনা।—মই নো কাহানি কাৰ লগত আহিছিলোঁ, মনত নপৰে দেখোন।

ৰমণী।—নহয়, মানুহ লগ নহয়, কথাৰ লগ।

আমিনা।—অ, বুজিছো!

আঘনী।—এৰা, ময়ো বুজিলোঁ।

আমিনা।—তই আকৌ বুজিলি কি ?

আঘনী।—এ, মোকো তোমাৰ দৰে কথাৰ পাকত পেলাই ঘূৰ্ম্মুটি খুৱাইছিল নহয়, এতিয়া, অলপৰ আগতে। পিচে, মোক বুজাই দিলে, তেওঁৰ মনটোও হেনো তেওঁৰ লগৰীয়া!

ৰমণী।—(মিচিকিয়াই) বাৰু, এৰাঁ সেইবোৰ কথা। এতিয়া আমিনাৰ কিবা বিশেষ সকাম আছে নে কি ?

আমিনা।—এৰা, আছেও, নাইও।

আঘনী।—উ-উ, এওঁৱে শিকিলে সেইখন কথা! মোৰ হাহি হে উঠিব এতিয়া, যাওঁ আই!

(বুঢ়ীৰ প্ৰস্থান)

আমিনা। -বুঢ়ীটি বৰ ৰঙ্গিয়াল, নহয় নে ?

ৰমণী।—এৰা, তাইতে হে মোৰ এফেৰি শান্তি।

আমিনা।—আৰু ?

ৰমণী।—আৰু এফেৰি তোমাত।

আমিনা।—আৰু ?

ৰমণী।—আৰু ইয়াত নাই।

আমিনা।—ক'ত বা আছে ?

ৰমণী।—আছে, থ'ক ক'ৰবাতে; তোমাক সেই ছোৱা নালাগে। তোমাৰ ছোৱাতে ধৰাঁ। কিনো সকাম আজি ?

আমিনা।—সেই একেটা কথাই। আপুনি ভাল নাপায় দেখি ক'বলৈকে মন নাযায়। যুৱৰাজে সুধি পঠিয়াইছে, তেওঁৰে সৈতে নিকালৈ আপুনি ৰাজী হ'ব নে নহয় ?

ৰমণী।—নহওঁ যদি ?

আমিনা।—সেইটোৰ উত্তৰ আমি কেনেকৈ দিম ? তেও বুলি, গতিক ভাল নেদেখোঁ।

ৰমণী।—ভাল নেদেখোঁ, কি কৰিব? বে-ৰাজীতে নিকা পঢ়াব?

আমিনা।—সেইটো কেনেকৈ হ'ব! তথাপি,—

ৰমণী।—তথাপি কি?—বলৱন্তী? (বুকুৰপৰা কটাৰী উলিয়াই) আহোম ৰমণীত সেই কথা নৰজে; হয় সিবিধ (আনলৈ হানি দেখুৱায়), নহয় ইবিধ। (নিজৰ বুকুলৈ টোৱাই দেখুৱায়)

আমিনা।—নহয়, নহয়, আপুনি সিমান উতলা কেলেই হ'ব লাগিছে? আপোনাৰ বে-ৰাজীত যে একো হ'ব নোৱাৰে সেইটো মই ভাঠি কলোঁ। পিচে, আপোনাৰ নো নিকা নহ'বই নে?

ৰমণী।—হ'বও পাৰে, নহ'বও পাৰে। বাৰু, সেই কথা আমি আন এদিন পাতিম। সম্প্ৰতে যুৱৰাজক কবাগৈ যে, ইয়াত মোৰ মন নবহেমানে কিছুমান দিনলৈ সেই বিষয়ে একো ক'ব নোৱাৰিছোঁ এথোন। (স্বগতঃ) মিথ্যামুখে দিন দীঘলাই নি পলাবৰ ছেগ চাওঁ।

আমিনা।—সজ কথা। বাৰু, মই সেই দৰেই যুৱৰাজক বুজাই ক'মগৈ।

ৰমণী।—বেচ, আমিনা, তোমাৰ লগত সেই হে একেৰি শান্তি পাওঁ। কিয়নো, তুমি কথা বুজা। বাৰু এতিয়া আমাক গান এটি মুশুনাবা নে?

আমিনা।—হয়, শুনাব লাগে; পিচে ডেৰি হে হ'ল দেখোন?

ৰমণী।—বাৰু, চমুকৈয়ে এটি গোৱা।

আমিনা।—ভাল, গজল এটিকে গাওঁ, শুনক।

গীত

(ঝিঝিট খাম্বাজ—ঠুংৰী)

প্ৰেম কি ধন,
প্ৰেমিক জনে হে বুজে ইয়।
প্ৰণয়ী প্ৰভুক,
যেয়ে যিবা জনাৰে,
উলটি প্ৰেমকে হে পায়॥
আকাশ পাতাল,
কৰে এক তাল,
ধৰাতে স্বৰগ যেন পায়।
ভজন কীৰ্ত্তন,
প্ৰেমৰে হে গুণ,
জগতকে প্ৰেম সি বিলায়॥

ৰমণী।—বেচ, বৰ মধুৰ লাগিছিল। সিদিনা যে গাইছিলা—"বাৰ্ত্তা দে সখী, কোন গেলি মে গেঁয় শ্যাম" এই সুৰৰেই নহয় নে?

আমিনা।—হয়, সেই সুৰৰেই। ভাল, উঠোঁ হে এতিয়া? তছ্‌লিম্ (চেলাম দিয়ে)।

ৰমণী।—বাৰু, যোৱা আমিনা। যাওঁ, ময়ো অলপ ভিতৰতে ইফাল-সিফাল কৰোঁগৈ।

(দুইৰো দুফালে প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

গুৱাহাটী,—মোগল থানা

(ৰচিদ্‌খা আৰু নেওগ ফুকন)

ৰচিদ্।—তোমাৰ ষড়যন্ত্ৰৰ বলতে গুৱাহাটী আমি হাত কৰিলোঁ সঁচা, কিন্তু আকৌ আমাৰ হাতৰপৰা যাতে নাযায় তাৰ নিমিত্তে সহায় থাকিবা।

নেওগ।—অৱশ্যে, অৱশ্যে থাকিম। কিন্তু, কিয়নো শঙ্কা কৰিলা? কিনো সপোন দেখিলা?

ৰচিদ্।—আশঙ্কাৰ কাৰণ আছে। কিয়, তুমিয়ে সিদিনা কৈছিলা নহয়, বোলে, ৰজাৰ নগৰত আকৌ কিবা অনা-গুণা চলিছে।

নেওগ।—ওঁ, চলিছে তো। কিন্তু, এতিয়াও ভিতৰুৱাকৈ হে।

ৰচিদ্।—যি হওক, আমাক তাৰ স্বৰূপ তত্ত্ব অনাই দিব লাগে নহয়?

নেওগ।—দিব লাগে তো। পিচে, সদায় শুদা মুখেৰেই লাগে নে?

ৰচিদ্।—অ, নহয়। মই ঠিক আছোঁ। হাতে-হাতে।

নেওগ।—কিন্তু, ই বৰ টান কথা দেও! জীৱন-মৰণৰ কথা!

ৰচিদ্।—একো ভয় নাই। কোনে জানিব আমি কি কৈছোঁ।

নেওগ।—অ, নহয়; বাৰ-ছালৰো কাণ আছে। সিবাৰৰ কথা ঘুমুকঘানাক্‌কৈ ওলায়ছেই; কি হয়গৈ ক'ব পৰা নাই এখোন।

ৰচিদ্।—ভয় নকৰিবাঁ, আমি আছোঁ।

নেওগ।—তোমালোক থাকি কৰিবা কি? ৰজাই দণ্ডিলে ৰাখিব পাৰিবা জানো?

ৰচিদ্।—কিয়! ৰজাই বিচাৰ ল'লেই তুমি আমাৰ কোঁঠত আশ্ৰয় লবাঁহি; তেতিয়া আৰু ৰজাই কি কৰিব?

নেওগ।—তেতিয়া হওঁতে একো কৰিব নোৱাৰে, কিন্তু—

ৰচিদ্।—কিন্তু-ফিন্তু একো নাই; ভয় নকৰিবাঁ, মই ভাঠি কৈছোঁ।

নেওগ।—বাৰু, পিচে ইটো কথালৈ সেইয়া এতিয়াই হ'ব জানো?

ৰচিদ্।—ওঁ, হ'ব তো। এতিয়াই, হাতে-হাতে দিওঁগৈ, আঁহা। (স্বগতঃ) কিন্তু মোক নো এনে অসময়ত পাটচাহে বদলি দি কিয় মাতি নিয়ে? মোৰ ওপৰত কিবা সন্দেহ হৈছে নে কি? যি হওক, ফিৰুজখাঁই কিন্তু মোৰ দৰে টিপ্-টাপ্ লগাই কাম সাধিব নোৱাৰিব; তথাপি তেওঁকো অলপ ইচাৰা দি যাব লাগিব। সম্ৰাটৰ হুকুম পালিবই লাগিব; কিন্তু মই ইয়াৰপৰা সৰহ দিনলৈ আঁতৰি নাথাকোঁ; কল-পেঁচ লগাই আকৌ সোনকালে ফিৰিমগৈ। (ফুটাই) অ, ফুকন, আঁহা, দিওঁগৈ।

(দুইৰো প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

গড়গাওঁ,—ৰজাৰ বৰচ'ৰা

(চক্ৰধ্বজসিংহ, আতন বুঢ়াগোহাঞি, ভগী বৰপাত্ৰগোহাঞি, লাঙ্গিচং বৰগোহাঞি, লাচিত বৰুৱা)

চক্ৰধ্বজ।—ডাঙৰীয়াসকল আৰু বিষয়াবৰ্গ! আজি ডাঙৰীয়া-বিষয়া সকলোটিকে চ'ৰালৈ আহ্বান কৰাৰ উদ্দেশ্য বোধ কৰোঁ বহুতে নাজানাহঁক,—কওঁ শুনা। দিনক-দিনে ৰাজ্যৰ অৱস্থা কি দৰে হীন হৈ পৰিছে সেইটো দেখিছাহঁক। প্ৰজাৰ দুৰ্গতি দেখি আৰু স্থিৰে বৰ নোৱাৰাত পৰিছোঁহি। প্ৰজাৰ ঘৰত খাবলৈ-পিন্ধিবলৈ নাই, আকালে গৰাহ মাৰি ধৰিছে, অনাহাৰে অকালত কিমানৰ প্ৰাণ গৈছে তাৰ ঠিকনা নাই; ইয়াৰ ওপৰত আকৌ কৰ-কাটলৰ হেঁচা! জুৰুলা প্ৰজা এনে হেঁচাত চেপেটা হ'ব লগা হৈছে। এই দৰে আৰু বছৰদিয়েক পাৰ হ'বলৈ দিলে আমাৰ প্ৰজা আৰু নাথাকে, সমূলঞ্চে অন্ত পৰিব; আমি মাথোন এৰা বাড়ীৰে হে ৰাজ্য পাতিব লাগিব। এতেকে, এতিয়া সজ আলোচনা কৰি আমাক যুগুত পৰামৰ্শ দিয়াঁহঁক, এই পতনমুখী ৰাজ্য উদ্ধাৰৰ অৰ্থে কি উপায় কৰা যায়। উপস্থিত সভাসদ্-সকলে নিজ নিজ মত ব্যক্ত কৰি গৈ থাকাঁ, দেখোঁ সৰহ ভাগে কি উপায় দিয়ে।

বৰগোহাঞি।—সঁচা, স্বৰ্গদেৱ! ৰাজ্য জুৰি প্ৰজাৰ হাহাকাৰ! পিন্ধিবলৈ নোপোৱাটো যি হওক, খাবলৈ নাপাই যে প্ৰজা মৰি অন্ত পৰে এতিয়া! অনতিপলমে ইয়াৰ এটা উপায় নকৰিলেই নহৈছে। মোৰ বোধেৰে আকালত পৰা প্ৰজাক ৰাজভঁড়ালৰ-পৰা অন্নদান দি সম্প্ৰতি ৰক্ষা কৰা যাওক।

লাচিত।—প্ৰস্তাব বেয়া নহয়; কিন্তু মোৰ মনেৰে প্ৰজা বুজি অৰ্থদানও হ'ব লাগে। কিয়নো, এতিয়া একঠা চাউলত এটকা হৈছে। আৰু, ইতিমধ্যত ৰণলৈকো সক্ষম হোৱা যুগুত। বিনা ৰণে গুণ নিদিব।

বৰপাত্ৰ।—মোৰ মনেৰে ৰজাঘৰীয়া সাহায্য কিমান দিনলৈ চলিব, তাৰো এটা সীমা ৰখা উচিত। নতুবা, অনিশ্চিত কাললৈ অবাৰিত দুৱাৰে সেই সাহায্য মেলি দিব লাগিলে, ৰাজভঁড়াল উদং হৈ দুইৰো সমানে কঁকাল পৰিব; আৰু তেতিয়া কাকো কেৰে চাব নোৱাৰা হৈ ৰাজ্য ৰসাতললৈ যাব!

বুঢ়াগোহাঞি।—প্ৰস্তাৱ আটাইবিলাক যুক্তিযুক্ত হৈছে। ৰাজভঁড়ালৰপৰা সাহায্য দানত মোৰ অমত নাই। কিন্তু, ফুটা পাত্ৰত পানী ভৰোৱা যুক্তি মোৰ নহয়। মোৰ যুক্তিৰে, আগধৰি প্ৰজাৰ অৱস্থা আগলৈ ক্ৰমাৎ পৰি যোৱাৰ বাট নমৰাকৈ ৰাজ-অনুগ্ৰহ আগবঢ়োৱা কাচিতো উচিত নহ'ব। গতিকে, যিবোৰ কাৰণত প্ৰজাৰ ভিতৰুৱা অৱস্থা ক্ৰমাৎ হীন হৈ ৰাজ্যৰ দুৰৱস্থা বাঢ়িবলৈ ধৰিছে, প্ৰথমে তাৰ তত্ত্ব লোৱা কৰ্ত্তব্য; তাৰ পাচে তাৰ প্ৰতিবিধানৰ উপায় চিন্তা বিধেয়। প্ৰজাৰ দুৰ্গতিৰ যে সীমা নোহোৱাত পৰিছে, তাক কোৱা বাহুল্য মাথোন, কিন্তু তাৰ মূলত কি আছে, তাকো তত্তালিকে থানি চোৱা যুগুত।

ৰজা।—সঁচা, কি কাৰণত ৰাজ্যৰ বৰ্ত্তমান দুৰ্দ্দশা ঘটিছে, প্ৰথমে তাৰ তত্ত্ব বিচাৰ কৰা যুগুত। মোৰ দৃষ্টিৰে হ'লে সেই তত্ত্ব বিচাৰি বহু দূৰলৈ চকু দিবৰ সকাম নেদেখোঁ, সি আগতে ওলাই আছে। ভাবি চাব লাগে, প্ৰজাৰ অৱস্থা হীন হয় কেনেকৈ? আৰ্জ্জনতকৈ অধিক ভগন আৰু শক্তিৰ অতীত খাটনি, এই দুয়েই তাৰ প্ৰধান কাৰণ। আমাৰ প্ৰজাৰ ভাগ্যতো আমি ঠিক তাকে ঘটাইছোঁহক। আমাৰ পূৰ্ব্ববৰ্ত্তী শাসনত মোগল আক্ৰমণৰ ভয়ঙ্কৰ উৎপাতত বিস্তৰ ধন-জন ক্ষয় হোৱাৰ উপৰিও প্ৰজাৰ কৃষি-শিল্প, বেহা-ব্যৱসায় ইত্যাদিত বিষম-ৰূপে আঘাত পৰে; আৰু ৰজাই ঠাৰৰিব নোৱাৰি ৰাজ্য এৰি ভাগি যোৱাত, শত্ৰুৱে প্ৰজাৰ সম্পত্তিৰ ওপৰত যথেচ্ছাচাৰ কৰিবলৈ বাকী নথ'লে। তদুপৰি, স্বৰ্গীয় জয়ধ্বজ সিংহ ৰজাদেৱে ৰাজ্যলৈ উলটি আহি যি সন্ধি কৰিলেহি, তাৰ ফলতো ৰাজভঁড়ালৰ বহু অৰ্থ-সম্পত্তি মোগল সেনাপতিয়ে ৰাজ্যৰপৰা বাহিৰ কৰি নিলে। ভাবি চোৱাঁহক, আমাৰ বঙহৰ ৰমণী গাভৰুক বলেৰে দিল্লীৰ পাটচাহলৈ সঁপি দিওঁতে, তেওঁৰ যৌতুক স্বৰূপে কুৰি হাজাৰ সোণৰ মোহৰ, চাৰিলাখ কুৰি হাজাৰ ৰূপ, ডেৰ কুৰি হাতী—এই খিনি অৰ্থ-সম্পত্তি ৰাজ্যৰপৰা একেবাৰতে বাজ হয়; আৰু তাৰ লগতে ভৰলী আৰু কলঙ্গৰপৰা পছিম ছোৱা আহোম ৰাজ্য মোগলক এৰি দিয়া হয়। এতিয়া গমি চোৱাঁহক, সেই একেবাৰতে ইমানখিনি ভৰণী সহি ৰাজ্য নপৰি থাকে কেনেকৈ? অকল সেয়ে নহয়, তাৰ উপৰি বছৰি পেচ্‌কচ্ আৰু চই শোধাই থাকিব লগা হৈছে। তাৰ অৰ্থে প্ৰজাই ৰজাঘৰত ওপৰঞ্চিকৈ খাটিব লগা হৈছে, আৰু প্ৰজা বুজি কৰ-কাটলও বঢ়াই দিব লগাত পৰিছে। এনে স্থলত প্ৰজাৰ অৱস্থা পৰি নাহিব কিয়? সেই হীনাৱস্থাৰ হেতুকে প্ৰজা একেবাৰে জুৰুলা নহ'ব কিয়? আৰু, ৰাজ্যত আকাল নালাগিব কিয়? ইত্যাদি বিবেচনাৰে সৈতে আমি কওঁ যে, প্ৰথমেই প্ৰজাক চুহি থকা পেচ্‌কচ্ আৰু চই ৰহিত কৰিবলৈ চাব লাগে; তাৰ পাচত আমাৰ হেৰোৱা ৰাজ্য উদ্ধাৰ কৰি সেই ছোৱাৰ উৎপন্নেৰে বিপন্ন ইছোৱাক সহায় কৰিবলৈ যুগুত বিধান কৰা হ'ব লাগে। ইয়াকে কৰিব নোৱাৰিলে আমাৰ ৰাজ্য ৰসাতললৈ যোৱাটো ধ্ৰুৱ-নিশ্চয় কথা।

লাচিত।—স্বৰ্গদেৱে কোৱা আটাইখিনি কথা যুক্তিসঙ্গত। পিচে, পেচ্‌কচ্ আৰু চই ৰহিত কৰাৰ অৰ্থ ৰণ দিয়া নহ'ব জানো?

বুঢ়াগোহাঞি।—যুক্তিৰ ভিতৰ নোসোমালে অৱশ্যে ৰণ দিব লাগিব, তাৰ নিমিত্তে চিন্তা কি?

বৰগোহাঞি।—চিন্তা হ'বলগীয়া কথা। একেই তো ৰাজ্যৰ দুৰৱস্থা, তাতে ৰণ-বিগ্ৰহ লগাই ল'লে আৰু তললৈ হে যাব।

লাচিত।—নাযায় তললৈ, তেতিয়া ওপৰলৈ হে উঠিব। কিয়নো, বৰ্ত্তমান মোগলৰ দখলত থকা আমাৰ হেৰোৱা ৰাজ্যছোৱাৰ প্ৰজাৰ অৱস্থা এতিয়াও টনকিয়াল হৈয়ে ৰৈছে; ৰণ দি সেই ছোৱা আকৌ আমাৰ হাতলৈ আনি ল'ব পাৰিলে, তাৰে সৈতে অৱস্থা মিলাই ইছোৱাৰ অৱস্থাও উন্নত

কৰি ল'ব পৰা যাব। আৰু, ৰণত মোগলক জিনিম যে, তাত সন্দেহ নাই।

বৰপাত্ৰ।—ৰণ লাগি উঠিলে তাৰ নিমিত্তে আকৌ খৰচ নালাগিব জানো? পিচে, সেই খৰচ নো ৰাজ্যৰ এনে দুৰৱস্থাত ক'ৰপৰা যোগাৰ কৰা হ'ব?

বুঢ়াগোহাঞি।—সেইটো অৱশ্যে ভাবিবলগীয়া কথা। কিন্তু, ৰাইজৰ ওপৰত বৰঙণি পেলাই পেচ্‌কচ্‌ৰ অৰ্থে যি সাত লাখ টকা তুলি গোলাঘৰ বান্ধি আচুতীয়াকৈ থোৱা হৈছে, তাক আমি ৰণৰ খৰচত লগাব পাৰোঁ। আৰু, তাকে কৰি ৰাজ্যৰ অৱস্থা ক্ৰমাৎ পৰি যোৱাৰ গতি আমি ৰোধ কৰি লব পাৰিম। বিশেষতঃ, এতিয়াও আমি যোৱা বছৰৰ চই শোধাব পৰা নাই, নোশোধালে এনেও বিবাদ লাগিবই, অথচ সেই শোধাবলৈ বাকী থকা খিনিও আমি ৰণৰ খৰচত লগাব পাৰিমহঁক।

লাচিত বৰুৱা।—অতি যুক্তিসঙ্গত কথা। আৰু, মোৰ বোধেৰে নিতান্ত অধঃপাতে যাব লগা আছে যদি, ততালিকে যোৱাই শ্ৰেয়ঃ; লাহে লাহে তললৈ গৈ থাকি লেলাত ভুঞ্জাৰ মাত্ৰা বঢ়াব লাগিছে কিয়? ৰণ পাতি ললে, হয় জয়, নহয় পৰাজয়, হয় উঠন, নহয় পতন আছেই। কিন্তু এই পন্থা অনিশ্চিত নহয়; আৰু এই পন্থাত চলিলে হে প্ৰজাৰ বৰ্ত্তমান দুখ-কষ্ট নিবাৰণৰ অৰ্থে ৰাজভঁড়ালৰ-পৰা সাহায্য দান কৰাটো সঙ্গত বিবেচনা কৰোঁ। মই ডাঠি কওঁ, ৰণত আমাৰ জয় হ'ব। দুখীয়া হৈছে বুলি, অসমীয়া ৰণুৱাৰ তেজ পানী হোৱা নাই।

দুৱৰী।—স্বৰ্গদেৱ ঈশ্বৰ! দুৱাৰত গুৱাহাটীৰপৰা আহি এজন দূত উপস্থিত। তেওঁৰ হাতত এখন পত্ৰ দেখা পালোঁ।

বুঢ়াগোহাঞি।—স্বৰ্গদেৱৰ আজ্ঞা হলে আহিব পাৰে, আহিলে এই সময়ত অলাভ নহ'ব বোধ কৰোঁ।

ৰজা।—বাৰু, আহিব পাৰে, আনগৈ।

দুৱৰী।—যি আজ্ঞা, স্বৰ্গদেৱ-ঈশ্বৰ। (প্ৰস্থান)

ৰজা।—গুৱাহাটীৰ থানাদাৰৰ ওচৰৰপৰা আহিব পায়।

বৰগোহাঞি।—হ'ব পায়, স্বৰ্গদেৱ!

(দূতে সৈতে দুৱৰীৰ পুনঃ প্ৰৱেশ)

বুঢ়াগোহাঞি।—সকাম কি দূত?

দূত।—(পত্ৰ এখন আগবঢ়াই দি) ডাঙৰীয়া-দেউতা! গুৱাহাটীৰ থানাদাৰ চাহাবে স্বৰ্গদেৱ-ঈশ্বৰলৈ এই খন পত্ৰ দি পাচিলে।

বুঢ়াগোহাঞি।—(পত্ৰ হাতত লৈ) বাৰু, দুৱৰী, দূতক লৈ যা, কোটোৱালক গতাই দে গৈ; যথা শুশ্ৰূষাৰে আৰু যতনেৰে ৰাখক। (ৰজাৰ হাতলৈ পত্ৰখন আগবঢ়াই দিয়ে)

দূত।—দেউতা-ঈশ্বৰ! থানাদাৰ চাহাবে পত্ৰৰ জবাব লৈ যাবলৈ কৈ পঠিয়াইছে।

লাচিত বৰুৱা।—(উত্তেজিত হৈ) বাৰু, পাবি জবাব, যা। নগণ্য থানাদাৰ এটাৰ হুকুম!

(দূতৰ সৈতে দুৱৰীৰ প্ৰস্থান)

ৰজা।—(পত্ৰ পঢ়ি জলি উঠি) কি! ইমান সাহ! এটা সামান্য থানাদাৰৰ এনে বৰকথা! স্বয়ং দিল্লীৰ সম্ৰাটে এনে শকত কথা কলেও আমি কদাপি নসহোঁ। মোগল সম্ৰাটৰ এটা সামান্য কৰ্ম্মচাৰীৰ এনে অপমানসূচক টান কথা শুনি নিটাল মাৰি ৰব লাগিলে নিশ্চয় ইন্দ্ৰবংশী আহোম ৰজাৰ গৌৰৱ হানি হ'ব। যি নাম, যি গৌৰৱ আমাৰ পূৰ্ব্বৰাজসকলে অতকাল অম্লানভাৱে ৰক্ষা কৰি গৈছে, সেই নাম-গৌৰৱত এতিয়া কিবা স্বৰূপে চেকা পৰিব লাগে যদি, আমি নিশ্চয় এই ৰাজপাটৰ যোগ্য নহম। পেচ্‌কচ্‌ আৰু চই শোধোৱাত পলম হোৱা বাবেই সামান্য কৰ্ম্মচাৰী এটাৰপৰা এনে কৰ্কশ বাক্য সহিব লগা হলে আমাৰ মনুষ্যত্বই মিছা! সেই পেচ্‌কচ্‌ আৰু চই শোধোৱাৰ ফল স্বৰূপেই তো আমাৰ ৰাজ্যৰ ইছোৱা আজি অধঃপাতে যায়! তদুপৰি, গুৱাহাটী অঞ্চলৰ অসমীয়া প্ৰজাবৰ্গৰ প্ৰতি মোগলৰ আচৰণ আৰু উৎপীড়ন অসহনীয় হৈ উঠাত, নামনি

অসমৰ আমাৰ প্ৰজাবৰ্গে আমাক কাতৰভাৱে জনাইছে, সিবলাকক আমি অনতিপলমে উদ্ধাৰ কৰিব লাগে বুলি। আমাৰ সেই অঞ্চলৰ প্ৰজাবৰ্গৰ ৰাজভক্তিত আমি বিমোহিত; আৰু সিবিলাকৰ কাতৰুক্তিত আমি মৰ্ম্মাস্তিক! বিশেষতঃ, একে জাতি অসমীয়া প্ৰজা দুজাতি হৈ, দুই ৰাজ-শাসনৰ তলত বাস কৰাটো নিতান্ত অস্বাভাৱিক। এতেকে, এনে অৱস্থাত আৰু অনৰ্থক পলম কৰা বিধেয় নহয়; পেচ্‌কচ্‌ আৰু চইৰ পৰিৱৰ্ত্তে আমি ৰণ দিবলৈ হে প্ৰস্তুত বুলি পত্ৰোত্তৰত কোৱা যাওক। আমাৰ এই মত; সভাসদৰ অভিমত প্ৰকাশ কৰাৰ আৱশ্যক।

সবাৰে একবাক্যে।—স্বৰ্গদেৱৰ মতেই আমাৰো মত।

লাচিত বৰুৱা।—মোৰ বোধেৰে পত্ৰোত্তৰৰ লগে লগেই ৰণ ঘোষণা কৰি দিয়া হে যুগুত; নতু, শত্ৰুক সময় আৰু সুবিধা দিয়া হয় মাথোন।

বুঢ়াগোহাঞি।—স্বৰূপ কথা। বৰুৱাদেৱৰ লগত মোৰ মত সম্পূৰ্ণ মিলিছে।

বৰগোহাঞি।—সঁচা, ৰণ দিয়াটোৱেই স্থিৰ যেতিয়া, পলম কৰাৰ সকাম নাই। শুভস্য শীঘ্ৰম্।

ৰজা।—ভাল কথা। ততালিকে ৰণ ঘোষণা কৰি দি, তাৰ আয়োজনত ধৰা যাওক।

বুঢ়াগোহাঞি।—হৈছে, স্বৰ্গদেৱ! আয়োজনত আজিয়েই ধৰা যাব। আৰু, স্বৰ্গদেৱৰ অনুমতি হলে, ৰণৰ ঘাই সেনাপতিও আজিয়েই বৰণ কৰিব পৰা যায়।

ৰজা।—সজ কথা। এজন বাচঁাইক।

বুঢ়াগোহাঞি।—মোৰ বিবেচনাত আমাৰ লাচিত বৰুৱা-দেৱেই ঘাই সেনাপতিৰ নিমিত্তে সুযোগ্য পাত্ৰ। মিৰ্‌জুম্লাৰ আক্ৰমণতে আমি তেওঁৰ বীৰত্ব আৰু ৰণ-পাণ্ডিত্যৰ পৰিচয় পাই থৈছোঁহঁক। তেওঁৰ বিক্ৰমৰ কথা বোধ কৰোঁ মোগলেও পাহৰা নাই।

সভাসদ্।—উত্তম বাচনি।

ৰজা।—উত্তম প্ৰস্তাৱ। লাচিত বৰুৱাদেৱকে আমি বৰ-সেনাপতিৰ ভাব দিছোঁ। তেওঁক আজিৰপৰা কলিয়াবৰৰ বৰফুকন পাতি, বৰ্ত্তমান বৰফুকন ঘোঁৰা-কোঁৱৰক বৰবৰুৱা পতা হ'ল। সম্প্ৰতে মোগলৰ বাঁহবাৰী আৰু কাঁজলীৰ কোঁঠ দখল কৰি গুৱাহাটীলৈ আগবাঢ়িবলৈ আমাৰ নতুন বৰফুকনক আদেশ দিয়া গ'ল। তাৰ পাচত, সময়ানুযায়ী আদেশ আমাৰপৰা তেওঁ পাই থাকিব। লাচিত বৰুৱাৰ বীৰত্বৰ বিষয় আমাৰো অবিদিত নহয়। মোগল সেনাপতি মিৰজুম্লাই আমাৰ নগৰ অৱৰোধ কৰি থকা কালত কেইবাথনো সমুখ-সংগ্ৰামত বৰুৱাদেৱে তেওঁক বিষমকৈ ঘটাইছিল; আৰু সদৌশেহত ঠাৰৰিব নোৱাৰা যেন দেখিহে মিৰজুম্লাই চক্ৰান্তৰ ওপৰত আমাৰ সৈতে সেই মাৰাত্মক সন্ধি স্থাপন কৰি ইয়াৰপৰা বিদায় লয়। গতিকে, মোৰ দৃঢ় বিশ্বাস, আমাৰ নতুন বৰ-সেনাপতি লাচিত বৰফুকনৰ হাতত এইবাৰ মোগলৰ সম্পূৰ্ণ পৰাজয় ঘটিব; আৰু আমাৰ মনোৰথ পূৰ্ণ হ'ব। যি হওক, ইমানতে আজিলৈ এৰা হ'ল; যুদ্ধৰ আয়োজনত ভাগে ভাগে যোগ দিয়াঁগৈহঁক।

লাচিত।—স্বৰ্গদেৱৰ আজ্ঞা শিৰোধাৰ্য্য। মোৰ ক্ষুদ্ৰ শক্তিয়ে আজি অযাচিতে এনে প্ৰশংসা আৰু অনুগ্ৰহ লাভ কৰাৰ বাবে মই স্বৰ্গদেৱ প্ৰমুখ্যে সভাসদলৈ কৃতজ্ঞতা জনাইছোঁ। যি গুৰুতৰ কাৰ্য্যৰ ভাৰ মোৰ ওপৰত আজি ন্যস্ত হৈছে, তাক প্ৰাণ-পণে বহন কৰিবলৈ মোৰ যত্ন হ'ব। মোগলক এই দেশৰপৰা সমূলঞ্চে বাজ কৰি হে উলটিম; নতুবা ৰণতে এই বিজিত দেহা বিসৰ্জ্জন দিম। এই দেশৰ নাম 'অসম', আন দেশ এই দেশৰ সমান হ'ব নোৱাৰে, নতুবা, অসম-প্ৰতাপী স্বৰ্গদেৱ চুকাফাৰ নাম-গৌৰৱ ৰক্ষা নপৰে। অসমৰ অসমীয়া প্ৰজা আনৰ তলতীয়া হ'ব নোৱাৰে; স্বাধীন অসমক পৰাধীন হ'বলৈ নিদিওঁ। অখণ্ড অসম দ্বিখণ্ড হব নোৱাৰে; গুৱাহাটী উদ্ধাৰ কৰি অসম অখণ্ড কৰিহে বহিম। এয়ে মোৰ দৃঢ় সংকল্প। তদৰ্থে মই প্ৰাণপণে যুঁজিম; এয়ে মোৰ ৰণ-মন্ত্ৰ।

"মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন"; টলে যদি হিমাচল, নটলে প্ৰতিজ্ঞা মোৰ।

সভাসদ।—ধন্য ধন্য লাচিত বীৰ! ধন্য তোমাৰ ৰণ-তেজ! ধন্য তোমাৰ স্বদেশ-প্ৰেম!

অঙ্কপাত

দ্বিতীয় অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

কঁাজলীমুখ,—চৈয়দ চানা আৰু চৈয়দ ফিৰুজ

ফিৰুজ।—দেখিলাঁ অসমীয়াৰ ফন্দ্! তলে তলে কেতিয়াবাৰেপৰা আয়োজন কৰি থাকি, ৰণ ঘোষণা কৰাৰ লগে লগে অসমীয়া ফৌজে আমাৰ কোঁঠ আক্ৰমণ কৰিলেহি। আমি বিবুদ্ধি হৈ অগত্যা শত্ৰুক বাঁহবাৰী কোঁঠ এৰি দিবলৈ বাধ্য হলোঁ। নহলে, সিহঁতে আমাক হটাব পাৰে নে?

চানা।—নকবাঁ তেনে কথা। এইবাৰ অসমীয়া ফৌজৰ ৰকম বেলেগ। নেদেখিলাঁ বৰসেনাপতিজনৰ তেজ! এওঁৱেই সেই লাচিত বৰুৱা; এতিয়া বৰফুকন হৈ আহিছে। এওঁৰ বিক্ৰম সহিব নোৱাৰি গড়গাওঁ নগৰ আক্ৰমণত আমাৰ মহাপৰাক্ৰমী মিৰজুম্লা সেনাপতি অস্থিৰ হৈ পৰিছিল। এওঁ তাচ্ছিল্যৰ পাত্ৰ নহয়, এওঁৰে সৈতে লৰিবলৈ আমি বিশেষকৈ সাজু হ'ব লগাত পৰিছোঁ। বাঁহবাৰীৰ কোঁঠ অধিকাৰ কৰি শত্ৰুৱে এতিয়া কাঁজলীমুখৰ কোঁঠলৈ চোঁচা লৈছে; আহা, তাৰ ৰক্ষাৰ্থে সাজু হওঁগৈ; মুখৰ কথাত কাৰ্য্য সিদ্ধি নহয়।

ফিৰুজ! যাওঁ, বাৰু বলাঁ। কিন্তু দেখিবাঁ, এইবাৰ অসমীয়াক ভালকৈ চিনাকি দিম।

(দুইৰো বেগেৰে প্ৰস্থান)

(লাচিত, ৰাজখোৱা আৰু পানীফুকনৰ প্ৰবেশ)

পানীফুকন।—ধন্য লাচিত বৰফুকন! ধন্য তোমাৰ বীৰবাণী! ধন্য তোমাৰ উদগণি! তোমাৰ বীৰোচ্ছাসত আজি মোৰ প্ৰতি সিৰে ৰণ-তেজ উতলি উঠিছে। অবাৰিত ৰণ-লীপ্সা মোৰ প্ৰাণত চতুৰ্গুণ বাঢ়িবলৈ ধৰিছে। শত্ৰুৰ তেজেৰে আজি এই তৰোৱাল ৰাঙলী কৰি হে তৃপ্তি পলুৱাম।

ৰাজখোৱা। -ধন্য লাচিত বৰফুকনৰ ৰণ-কৌশল! তেওঁৰ দিহা মতে নচলা হলে, বাঁহবাৰী কোঁঠ ইমান সহজে আমাৰ হস্তগত হোৱাৰ আশা নাছিল। আৰু, বৰফুকনৰ বিক্ৰম দেখি মোগল সেনাপতি বিচূৰ্ত্তি হ'ল।

লাচিত।—শলাগৰ পাত্ৰ মই নহয়, তোমালোক হে। দিহা দিয়াতকৈ দিহা পালন কৰাৰ ওপৰত হে ৰণৰ ফলাফলে ঘাইকৈ নিভৰ কৰে। বৰঞ্চ, দিহা মতে কাৰ্য্য হৈ নুঠিলে, হিতে-বিপৰীত হে ঘটে। গতিকে, বাঁহবাৰীৰ ৰণত আমাৰ জয় হোৱা বাবে মোৰ সহায়কাৰী সেনাপতি তোমালোক হে ধন্যবাদৰ পাত্ৰ। কিন্তু, এই থিনিতে অলপ সঙ্কেত্ দিয়াৰ আৱশ্যক, জয় লাভে বিজয়ী দলক উৎসাহিত হে কৰিব লাগে, উদ্ধত কৰিব নেলাগে; আনন্দত অতিকৈ উৎফুল্ল হলে কৰ্ত্তব্যত বিঘ্ন ঘটে। যি হওক, এতিয়া ৰণৰ আৰম্ভণ মাথোন, আমাৰ সাধিবলগীয়া ভালেমান গুৰুতৰ কাৰ্য্য আগলৈ আছে। আমাৰ উপস্থিত কৰ্ত্তব্য হৈছে, তত্তালিকে গৈ কাঁজলীমুখৰ কোঁঠ অৱৰোধ কৰা। তাৰ নিমিত্তে আমি ভালকৈ সাজু হ'ব লাগে, কিয়নো, বাঁহবাৰীত শত্ৰুৱে আমাৰ হাতত যি শিক্ষা পালে, সি এই যাত্ৰাত সিহঁতক আগতকৈ শকত কৰিবৰ সম্ভৱ। কিন্তু নিশ্চয় জানিবাঁ, যিমানেই শকত হওক, শত্ৰু আমাতকৈ বলী হব নোৱাৰে; দেৱ-ৰাজ ইন্দ্ৰৰ বংশধৰ পৃথিৱীত আন কোনো পালি দেৱতাৰ বংশধৰতকৈ কদাপি হীনতৰ হ'ব নোৱাৰে, এই কথা ধ্ৰুৱপকৈ মনত ৰাখিবাঁহঁক; আৰু মনত ৰাখিবাঁ স্বৰ্গদেৱৰ জলন্ত আদেশ। স্বৰ্গদেৱে আমাক আমাৰ হেৰোৱা ৰাজ্য উদ্ধাৰ কৰিবলৈ পঠিয়াইছে। আমাৰ সাহ-পিত্, ৰণ-কৌশল আৰু আত্মোৎসৰ্গৰ

ওপৰতে আমাৰ পতনমুখী ৰাজ্যৰ পুনৰুদ্ধাৰ সম্পূৰ্ণ নিৰ্ভৰ কৰিছে। ওপৰত আমাৰ ঈশ্বৰ, আগত আমাৰ ৰজা, বুকুত আমাৰ স্বদেশ—এই তিনি লক্ষ্য ৰাখি আমি সন্মুখ-সংগ্ৰামত আগ বাঢ়ি জয়লাভ কৰি পুৰুষৰ চিনাকি দিবলৈ আহিছোঁ ; আমি ৰণত পিঠি দেখুৱাই কাপুৰুষৰ নাম পাবলৈ অহা নাই। আহাঁইক, আগ বাঢ়োঁ, আমাৰ জয় অনিবাৰ্য্য।

পানীফুকন।—শুনা প্ৰতিধ্বনি,—"আমাৰ জয় অনিবাৰ্য্য"। পুনৰপি উচ্চাৰোঁ, "আমাৰ জয় অনিবাৰ্য্য"। আমাৰ হাতত এইবাৰ মোগলৰ পৰাজয় ধ্ৰুৱ-নিশ্চয়।

লাচিত।—জানিবাঁইক, আগৰ দিহাই দিহা। আকৌ এবাৰ দোহাৰি কওঁ, শুনিবাঁইক,—সোঁ-হাতে পানীফুকন, বাওঁ-হাতে সলাল গোহাঞি, পিচৰ-পৰা ৰাজখোৱা, সন্মুখেদি মই নিজে, দেখিবাঁইক আক্ৰমণৰ হেঁচাটো যাতে চাৰিওফালৰপৰা সমানে পৰে। এয়ে মূঠ দিহা, আহাঁ যাওঁ, আগ বাঢ়োঁ, একে উশাহতে গৈ শত্ৰুৰ ওপৰত পৰোঁগৈ।

পানীফুকন।—আগ বাঢ়োঁ, আহাঁইক, -নিশ্চয় জিনিম আমি।

পালি-সেনাপতি দল।—জয় স্বৰ্গদেৱৰ জয়। জয় বৰসেনাপতিৰ জয়।

(ৰণোন্মত্ত হৈ সকলোৰে বেগেৰে প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

গড়গাওঁ,—ৰজাৰ বৰচ'ৰা

(চক্ৰধ্বজসিংহ, বুঢ়াগোহাঞি, বৰগোহাঞি, বৰপাত্ৰগোহাঞি, বৰবৰুৱা)

ৰজা।—বৰ সন্তোষৰ কথা, প্ৰথম ৰণ দুয়োখনতে আমাৰ জয় হৈছে ; শাঁহবাৰী আৰু কাঁজলীমুখৰ কোঁঠ আমাৰ হস্তগত হৈছে। এই দুটা কোঁঠ পুনঃ আমাৰ হাতলৈ অহাত আমাৰ বিশেষ লাভ বুলি ধৰিব লাগে ; কাৰণ, এই দুই কোঁঠৰ অধীনস্থ ৰাজ্যৰ প্ৰজাৰ বৰ্ত্তমান অৱস্থা বৰ টনকিয়াল, এই ৰাজ্যৰ সংসৰ্গত আমাৰ ইফালৰ এছোৱা আকাল-গ্ৰস্ত ৰাজ্যৰ অৱস্থা আকৌ অলপ তুলিব পৰা যাব। যাওক, সি পাচৰ কথা, সম্প্ৰতি ৰাজ-ভড়ালৰপৰা আকালগ্ৰস্ত প্ৰজাক যথাযথ ৰূপে সাহায্য দান কৰিবলৈ ধৰা হওক ; ৰাজ্যত আমাৰ এই ৰণজয়ৰ আনন্দ চৌপাশে ৰাষ্ট্ৰ হওক।

বুঢ়াগোহাঞি।—হৈছে, স্বৰ্গদেৱ ! এই সংসৰ্গত প্ৰজাই আনন্দ অনুভৱ কৰাটো একান্ত বাঞ্ছনীয়। তাৰ লগতে মই প্ৰস্তাৱ কৰোঁ যে, আমাৰ ৰণবিজয়ী উৎসাহী বৰসেনাপতি লাচিত বৰফুকনৰ উৎসাহ বঢ়াবলৈকো যথাৰ্থ সুব্যৱস্থা কৰিব লাগে।

বৰবৰুৱা।—অতি উত্তম প্ৰস্তাৱ।

ৰজা।—বৰ ভাল কথা লাচিত বৰফুকনৰ আমি নিশ্চয় গুণ লোৱা উচিত। বিশেষতঃ, এই সময়ত তেওঁৰ যথোচিত গুণ লৈ তেওঁক উৎসাহিত কৰা নিতান্ত প্ৰয়োজন। এতেকে, তেওঁ যেনেকৈ শত্ৰুৰ কোঁঠ দখল কৰি আমালৈ বিস্তৰ ধন-বস্তু পঠিয়াইছে, আমিও সেইদৰে তেওঁৰ ৰণজয়ৰ শলাগৰ নিদৰ্শন স্বৰূপ তেওঁলৈ সুখ যোগ্য উপহাৰ পঠিওৱা উচিত। সেই অৰ্থে, তেওঁলৈ যথা সন্মানেৰে এখন সোণৰ ডবিকা-দিয়া তৰোৱাল, এগছ সোণৰ বন্-কৰা টঙালি আৰু এটা উত্তম ৰণৰা বগা ঘোঁৰা আমাৰ-পৰা উপহাৰ পঠিয়াবলৈ আমি আদেশ দিছোঁ। অনতিপলমে ইয়াৰ দিহা হ'ব লাগে।

বৰগোহাঞি।—নিশ্চয় হ'ব, স্বৰ্গদেৱ ! অকল এই ৰণত জয় লাভ কৰাৰ বাবেই নহয়, ইতিপূৰ্ব্বে মিৰজুম্লাৰ আক্ৰমণৰ সময়ত তেওঁ যি বীৰত্ব দেখুৱাইছিল সেই বাবেও তেওঁ শলাগৰ পাত্ৰ। লাচিত বৰফুকন বাস্তৱতে এজন অসাধাৰণ বীৰ।

বৰবৰুৱা।—লাচিত বৰফুকনৰ বীৰত্বৰ বিষয়ে বোধ কৰোঁ কাৰো দ্বিধা মত নহ'ব। এনে জন পুৰুষত বৰ-সেনাপতিৰ বাচনি পৰাটো বৰ প্ৰশংসনীয় হৈছে।

ৰজা।—সেই বাবে আমি বুঢ়াগোহাঞি ডাঙৰীয়াৰ শলাগ লৈছোঁইক।

বৰবৰুৱা।—স্বৰূপ কৈছে স্বৰ্গদেৱে; তেওঁৰেই হে এই প্ৰস্তাৱ পোনেই আগ বঢ়াইছিল।

ৰজা।—বাৰু, যাওক, এতিয়া আন আলোচনাত ধৰিব লাগে। প্ৰথম দুখন ৰণত জয় লাভ কৰিয়েই আমি আনন্দ-বিহ্বল হ'ব নালাগে; আগলৈ আমাৰ আৰু গুৰুতৰ কাৰ্য্য ভালেমান বাকী ৰৈছে। এতিয়ামানে আমাৰ ৰণবল আগবাঢ়ি গুৱাহাটী পাবগৈ পায়। তাত সম্প্ৰতি পাণ্ডুৰ কোঁঠ আমি হাত কৰাৰ আৱশ্যক; বৰফুকনে বোধ কৰোঁ তাৰ আক্ৰমণৰ যুগুত দিহা লগাবগৈ পায়। ইতিমধ্যত ইফালে কিন্তু আমি সকলো প্ৰকাৰে তেওঁৰ সহায় হ'বলৈ সাজু থকা বিধেয়; সঙ্কটত লাগ বুলিলেই যাতে তেওঁক আমি যথোচিত ৰণবলৰ যোগান দিব পাৰোঁ, তাৰ আয়োজন হোৱা উচিত। সেই অৰ্থে বুঢ়াগোহাঞি ডাঙৰীয়া আৰু বৰগোহাঞি ডাঙৰীয়াই নিজ নিজ ৰণবল যুগুত কৰি লৈ সাজু থাকিবাঁইক।

বুঢ়াগোহাঞি।—হৈছে, স্বৰ্গদেৱে! সেই বিষয়ত মই আওকণীয়া হৈ থকা নাই। লাচিত বৰফুকনে যুদ্ধযাত্ৰা কৰাৰ দিনধৰি মই ভিতৰি সেই আয়োজনত আছোঁৱেই; এতিয়া স্বৰ্গদেৱৰ আদেশ মতে প্ৰকাশ্য আয়োজনত ধৰা হ'ব। মোৰ বোধেৰে বাঁহবাৰী আৰু কাঁজলীৰ কোঁঠ দখল কৰাৰপৰা বৰফুকনৰ ৰণবল সিফালে বাঢ়িছে আৰু তেওঁ সতকাই ইফালৰ সাহায্যলৈ হাত মেলিব নালাগিব; তথাপি আমি সাজু থকা উচিত।

বৰগোহাঞি—সঁচা, তথাপি আমি সাজু থকা উচিত। বুজিব নোৱাৰি, সিফালে মোগলৰ ৰণ-বলো সামান্য নহয়; তাতে আমাৰ পক্ষ এতিয়া লোকৰ দখলত সোমাইছেগৈ।

ৰজা।—তোমালোক দুয়োজনৰ ভাব আৰু কাৰ্য্যৰ গতিৰ মিল দেখি বাস্তৱতে আমাৰ সন্তোষ লাগিছে। আমি আদিৰেপৰা পাঙি আছোঁ যে, লাচিত বৰফুকনে ৰণ-বল যোগান খোজাৰ সঙ্কেত দিয়া মাত্ৰে ইফালৰপৰা তোমালোক দুজনক এজন-এজনকৈ পঠিয়াম বুলি; আৰু আৱশ্যক হলে বৰবৰুৱা আৰু বৰপাত্ৰক নগৰ-ৰখীয়া থৈ আমি স্বয়ং ৰণযাত্ৰা কৰিম। ইবিলাক দুজন এতিয়াৰেপৰা ৰাজ্যৰ শান্তি ৰক্ষাত লাগি যাওক; আমি তিনিজনে ৰণ-বিষয়ত একান্ত মনো-যোগ দিওঁইক, কি বোলাঁ?

কেইওজনে।—হৈছে, স্বৰ্গদেৱ! অতি উত্তম বিধান।

ৰজা।—বেচ কথা। যোৱাঁইক, এতিয়া ঘৰাঘৰি হৈ, নিজ নিজ ভাগৰ কাৰ্য্যালোচনাত ধৰাঁগৈইক। আমি উঠোঁ। (সকলোৰে প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

গুৱাহাটী,—বৰফুকনৰ বাহৰ

(পিজলা গাভৰু আৰু কেতেকী)

কেতেকী।—সেই ডেকা বিষয়াজনে মোক লগ পালেই সোধে।

পিজলা।—কি সোধে? কোনে সোধে?

কেতেকী।—আইদেউৰ কথাকে সোধে; সেই ডেকা বিষয়াজনে।

পিজলা।—কোন্ ডেকা বিষয়াৰ কথা কৈছ অ কেতেকী বাই?

কেতেকী।—এ, আই! ইমানতো নুবুজিলে নে আপুনি? সেই, বোলোঁ, সেই ডেকা বিষয়াজন। সেই, সেই যে, এঃ বাকলি, সেই চিটিকণ যে দিছিলে মোৰ হাতত।

পিজলা।—(লাজত তলমূৰ কৰি) ওঁ, বাৰু, বুজিছোঁ। কি সোধে?

কেতেকী।—তাকে সোধে। চিটিকণৰ কথাকে কয়।

পিজলা—(হাঁহি হাঁহি) কি কয়?

কেতেকী।—কয় আৰু কয়। বোলে, চিটিকণ পাই আইদেৱাবাই খং কৰিছে নে কি?

পিজলা।—(মিচিকিয়াই) পিচে?

কেতেকী।—পিচে আৰু, কি আৰু, খং নাই কৰা বুলি কওঁ।—বেয়া কওঁ জানো?

পিজলা।—নাই কোৱা বেয়া। (হাঁহে)

কেতেকী।—এৰা, বেয়া হলে কৈ দিব। শিকাই দিব। যেনেকৈ শিকায় তেনেকৈ কম।

পিজলা।—আজি লগ পোৱা নাই হ'বলা?

কেতেকী।—পাইছিল। নিতৌ পায়। আৰু, নিতৌ আপোনাক চাই যায়হি নহয়।

পিজলা।—ইঃ!

কেতেকী।—সঁচা, মৰি যাবলৈকে। ঠিক এতেপৰতে আহে। আহি জুমি চাই চাই গুচি যায়।

পিজলা।—ইঃ, মিছা!

কেতেকী।—শপত খালেও নপতিয়ালে আৰু কি কৰিম! (বাহিৰলৈ গম্ লৈ) চাওঁচোন, কি জানি বা আহিছেই। (উঠি গৈ দুৱাৰ মেলি দিয়ে);

(গন্ধৰ্ব্বনাৰায়ণ তলমূৰ হৈ ওলাই পৰে!)

কেতেকী।—সেয়াচোন এতিয়া! কলেও নপতিয়ায়।

পিজলা।—(লাজত তলমূৰ কৰে)।

গন্ধৰ্ব্ব।—(তলমূৰকৈ) নিজে যে অপ্ৰস্তুত হৈছোঁৰেই, আনকো আমনি কৰিবলৈ হে আগতে ওলাই পৰিলোঁ!

কেতেকী।—নাই, একো আমনি কৰা নাই। ডেকা-দোতাই একো আমনি কৰা নাই। (পিজলাৰ কাণৰ ওচৰত) আইদেউ, বহিবলৈ দিম জানো?

পিজলা।—(কওঁ-নকওঁকৈ) ওঁ, দে বাৰু।

কেতেকী।—(আসন পাৰি দি) ডেকা-দোতা বহক।

গন্ধৰ্ব্ব।—(চুচুক্‌চামাককৈ বহি) কি জানি কিবা জগৰেই লগাইছোঁ এথোন? বহোঁ বাৰু।

কেতেকী।—জানো, বাকলি! সেইটো আইদেৱে হে জানে। কি বোলে আইদেউ?

পিজলা।—(মিছা-খং দেখুৱাই) হেঁই এই জনী!

কেতেকী।—অ, জগৰ মোৰ ওপৰত হে পৰিল? ডেকা-দোতা, আপুনি সাৰিল। হক, বাৰু ময়ে পৰোঁ জগৰত।

পিজলা।—কথা কোৱাৰ বাব গোটেইটো কেতেকীয়েই নলবিচোন বাৰু।

কেতেকী।—ওঁঃ নলওঁ, নলওঁ। আপোনাসকলকে দিছোঁ। আপোনাসকলে কথা পাতক। মই গুনাৰ ভাগ-টোকে লৈছোঁ।

গন্ধৰ্ব্ব।—কিনো কথা পাতিম, ক'বলৈ দেখোন কথাই নোলায়! অন্তৰত হলে পাচিয়ে পাচিয়ে আছে। উঃ, ঘামতে কপোঁচোন!

পিজলা।—আটাইৰে একে দশা!

কেতেকী।—আপোনাৰো নে আইদেউ?

পিজলা।—হেঁই এই জনী! টপ্‌টপাই নাথাকিবি দেই। ভুকু খাবি।

কেতেকী।—ওঁ, নাথাকোঁ, মই যাওঁৱেই; ভুকু কেইটাৰ বাব সাৰোঁ।

(প্ৰস্থান)

পিজলা।—(সেমেনাসেমেনিকৈ) এ, যাওঁ বুলিয়েই গুচি গ'ল এই এজনী!

গন্ধৰ্ব্ব।—যাওক, তাই আমনি কৰিহে আছিল।

পিজলা।—(আঁচলেৰে মুখ ঢাকি) আমনি কৰা নাছিল, আপোনাৰ কামকে কৰি হে আছিল।

গন্ধৰ্ব্ব।—অ, হয় নে? আমাৰ কিবা কাম কৰিছিল?

পিজলা।—(চকুলৈকে চাকি) কিবা চিঠি একণৰ কথা। তাকে তাই পেৰি আছিল।

গন্ধৰ্ব্ব।—অ, হয় তেন্তে। সেইটি মোৰে কাম কৰিছিল। পিচে, তাৰ সমিধানলৈ আশা কৰিব পাৰোঁ জানো?

পিজলা।—(মূৰলৈকে চাকি) সকলো কথা দেউতাৰ ইচ্ছাৰ তল।

গন্ধৰ্ব্ব।—সঁচা, মোৰ কৰ্ত্তব্যাকৰ্ত্তব্যও সকলো তেখেতৰ ইচ্ছাৰ তল। মই তেখেতক সদায় মূৰ্ত্তিমান গুৰু-দেৱতা যেন দেখোঁ।

পিজলা।—সেইটো স্বাভাৱিক। কৰ্ত্তব্যৰ মিল হলে মানুহৰ মনৰো মিল হয়। এতিয়া সেই কৰ্ত্তব্যত নাম কৰিব পাৰিলেই সন্তোষ। (লাহে লাহে মুখ উলিয়ায়)

গন্ধৰ্ব্ব।—বেচ কৈছা। তেখেতৰ মন আৰাধনা কৰিও

পাৰলৈ টান; কিন্তু ৰণ-কৌশলত কুশল দেখিলে সেই মন আপুনি কুমলি অহা যেন দেখোঁ।

পিজলা।—নিজেই বুজিছে তেনেহলে। যি কাৰ্য্যেৰে দেউতাক সন্তুষ্ট কৰিব পাৰি, তাৰ চেষ্টাত থাকিলে মনোবাঞ্ছা পূৰ হলে হ'ব পাৰে।

গন্ধৰ্ব্ব।—ইয়াতকৈ আৰু ভাঙ্গি কব নালাগে; মই সুন্দৰকৈ বুজিছোঁ। মুখেৰে ইয়াত কলে কি হব, কাৰ্য্যেৰে কাৰ্য্যক্ষেত্ৰত দেখুৱাব পাৰোঁ যেন, ঈশ্বৰৰ চৰণত এই কামনা।

পিজলা।—শুনি বৰ সন্তোষ পালোঁ। এই সন্তোষ যেন চিৰলগৰীয়া হয়, ভগৱন্তৰ চৰণত এই কামনা।

গন্ধৰ্ব্ব।—(উচ্ পিচাই) উঠিবৰ মন নাযায়! ইফালে কৰ্ত্তব্যয়ো নেৰে!

পিজলা।—ভাল, উঠক বাৰু আজিলৈ। মাজে-মাজে আহি ৰণৰ কথা শুনালে সন্তোষ পাম।

গন্ধৰ্ব্ব।—বাৰু, অনুৰোধ সাদৰে মনত ৰাখিছোঁ।

(প্ৰস্থানলৈ উদ্যত)

পিজলা।-কেতেকী বায়ে বা কৰিছেগৈ কি? চাওঁগৈচোন। (উঠি যায়)

গন্ধৰ্ব্ব।-(অকলে) অহ, কেনে হৃদয়গ্ৰাহী সঙ্কেত! লাজুকী গাভৰুৰ কোমল হিয়াৰ কৰুণ ভাব সাদৰী কথাৰ মধুৰতাৰ মাজেদি কেনেকৈ বিৰিঙ্গি পৰিছিল! হয়, সেই ক্ষণটিত মই নো কোন্ স্বৰ্গত আছিলোঁ ক'ব নোৱাৰোঁ! মাজে মাজে আহি ৰণৰ কথা শুনাব লাগিব! ইয়াতকৈ আৰু সুখৰ সমিধান কি হ'ব পাৰে? যি কৰে ঈশ্বৰে! যাওঁ, কৰ্ত্তব্যে টানিব লাগিছে। (প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

পাণ্ডুঘাট,—আহোমৰ গড়খাৰৈ

(লাচিত, পানীফুকন, চক্ৰপাণি, চন্দ্ৰনাৰায়ণ, নেওগ ফুকন, চাউডাং)

চন্দ্ৰনাৰায়ণ।—বৰফুকন ডাঙৰীয়া! আজি অপৰাধী নেওগ-ফুকনৰ বিচাৰৰ দিন। যথাবিহিত কৰাৰ অৰ্থে স্মৰণ কৰোৱা হৈছে।

পানীফুকন।—মোৰ বোধেৰে উপস্থিত ৰণৰ কাৰ্য্যালোচনাৰ পূৰ্ব্বেই সেই আপদীয়া বিচাৰৰ লেঠা মাৰি লোৱা ভাল।

লাচিত।—সেই বিচাৰৰ তত্ত্ব অনুসন্ধানৰ কাৰ্য্য শেষ হৈ গৈছে; প্ৰমাণৰ আৰু বাকী নাই, মাত্ৰ বিচাৰৰ ৰায় দিবলৈ হে বাকী। নেওগ-ফুকনে মোগল থানাদাৰ ৰচিদ্‌খাঁৰে সৈতে চক্ৰান্ত কৰি আমাৰ অধিকাৰৰ কোঁঠবিলাক শত্ৰুৰ হস্তগত কৰাবলৈ আৰু আমাৰ ফালৰ ভিতৰুৱা প্ৰস্তাব আৰু আয়োজনৰ বিষয়ে গোপনে মোগল কৰ্ম্মচাৰীক জানিবলৈ দি, গুৱাহাটী দখল আমাৰ পক্ষে অসম্ভৱ কৰি তুলিবলৈ ষড়যন্ত্ৰ কৰাটোও প্ৰমাণিত হৈছে। গতিকে, আমাৰ বিচাৰত তেওঁক বিশ্বাস-ঘাতকতা অপৰাধৰ বাবে তৰোৱালৰ ধাৰত দিয়াটোকে সিদ্ধান্ত কৰিছোঁ। এতিয়া আমাৰ এই সিদ্ধান্ত সৈতে অপৰাধীক স্বৰ্গদেৱৰ সমীপলৈ পঠিয়াব লাগে। দেশতকৈ বিষয়া বৰ হ'ব নোৱাৰে।

চক্ৰপানি।—উচিত বিচাৰ। দোষ চাই দণ্ড হৈছে।

লাচিত।—পানীফুকনে অপৰাধীক নি স্বৰ্গদেৱৰ চ'ৰালৈ পঠিয়াবৰ যুগুত দিহা দি আহাগৈ।

পানীফুকন।—ডাঙৰীয়াৰ আদেশ শিৰোধাৰ্য্য। চাউডাং, অপৰাধীক বান্ধ, বাজ কৰ, লৈ আহ্।

(আগ বাঢ়ি প্ৰস্থান)

নেওগ।—হে ডাঙৰীয়া! প্ৰাণে নমৰাটো ৰাই দিয়া হলেও ভাল আছিল! (চাউডাঙ্গে নেওগ-ফুকনক বান্ধি বাহিৰ কৰি নিয়ে)

পানীফুকন।—(ঘূৰি আহি লাচিতৰ ওচৰত) অপৰাধীক ৰাজ-চ'ৰালৈ পঠিওৱাৰ যুগুত দিহা দি অহা হৈছে; আজিয়েই নিয়া হ'ব।

লাচিত।—ভাল কথা। এতিয়া আগন্তুক আক্ৰমণৰ আলোচনাত ধৰা হওক। প্ৰথমতে আমি চাব

লাগিব, শত্ৰুপক্ষৰ আয়োজন কিমান। মোৰ অনুমানত ইয়াৰ আগৰ দুটা আক্ৰমণতকৈ এইবাৰ শত্ৰুৰ আয়োজন বহুল।—অনুমান কিয়, দেখাকৈয়ে বহুল। কিয়নো, আমাৰ চোৰাংচোৰাই সন্ধান লৈ আহিছে যে, মোগলৰ ভালেমান ৰণতৰী অতি বেগেৰে উজাই আহিব লাগিছে, শীঘ্ৰে পাণ্ডুঘাটৰ কাষ চাপিবহি। এতেকে, শত্ৰুৰ সেই ৰণবল আহি যোগ হ'বলৈ নৌ পাওঁতেই আমি তুৰন্তে পাণ্ডুৰ কোঁঠ অৱৰোধ কৰিবগৈ লাগে। এইবাৰত কিন্তু আগবাৰৰ দিহা নাখাটিব, কিয়নো, কোঁঠ অৱৰোধ কৰা আৰু শত্ৰুৰ ৰণবলৰ যোগান আঁতৰাই ৰখা এই দুটা স্বকীয়া কাৰ্য্য সমানে চলিব লাগিব। গতিকে, এইবাৰ মই সমুখত থিতাপি হৈ ৰব নোৱাৰিম, কোঁঠৰ চতুঃপাশে ঘূৰি, মই নিজে চকু দি ফুৰিব লাগিব। গতিকে, নতুন দিহা মতে সোঁ-হাতে সলাল গোহাঞি, বাওঁ-হাতে বাৰুকিয়াল গোহাঞি, পিচত বৰগোহাঞি ফুকন, সমুখত চন্দ্ৰ-নাৰায়ণ আৰু চক্ৰপাণি ৰাজখোৱাৰে সৈতে পানী-ফুকনে নায়কৰ কাৰ্য্য কৰিব, গন্ধৰ্ব্বনাৰায়ণে মোৰ আশে-পাশে কোঁঠৰ চৌপাশে ঘূৰি থাকিব আৰু যি ক্ষণতে যাক যেনে উপদেশ দিয়া যাব, সেই বিষয়ে সেইজনক প্ৰতি ক্ষণে জনাই থাকিব। এই থিনিতে কৈ থোৱা উচিত যে, মোৰ দৃষ্টি অৱৰুদ্ধ কোঁঠৰ ওপৰতকৈ উজাই অহা শত্ৰুৰ ৰণতৰীৰ ওপৰত হে বেছি তীব্ৰভাৱে পৰিব। আৰু, কোৱা বাহুল্য মাথোন যে, কোঁঠৰ ওপৰত চাৰিওফালৰপৰা পাৰ্য্যমানে সমভাৱে হেঁচা দিবলৈ চাব লাগিব; সেই অৰ্থে লাটুম বৰুৱাই অশ্বাৰোহী ৰণুৱা এদলৰে সৈতে ইজন নায়কৰ কথা সিজনক ক্ষণে-ক্ষণে জনাই থাকিব। এয়ে এইবাৰৰ দিহা, ভালকৈ মনত ৰাখি চলিবাঁহক। দিহা নাপাহৰিলে, উৎসাহ নাভাগিলে এইবাৰো যে আমাৰ জয় অনিবাৰ্য্য, এইবাৰো যে আমি স্বৰ্গদেৱৰ শলাগৰ পাত্ৰ হ'ব পাৰিমহঁক, তাত সন্দেহ নাই।

পানীফুকন।—এইবাৰো শত্ৰুৰ তেজেৰে তৰোৱাল ৰাঙলী কৰি তৃপ্তি লাভ কৰিম। এইবাৰো সিংহৰ আক্ৰোশেৰে মোগল বাঘক চমক্ লগাই স্বৰ্গদেৱৰ শলাগৰ পাত্ৰ হম, তাত সন্দেহ নাই।

চন্দ্ৰনাৰায়ণ।—নাই, সন্দেহ নাই। (স্বগতঃ) কিন্তু, মোৰ উদ্দেশ্য সিদ্ধিত হে ঘোৰ সন্দেহ মানিছোঁ। অনৰ্থক হে খাটিছোঁ হ'বলা।

লাচিত। আঁহা, তেন্তে আগবাঢ়োঁ, সিংহৰ সন্তানে সিংহ তেজেৰে আগবাঢ়োঁ। চাওঁ, আজি কাৰ শক্তি আমাৰ গতি ৰোধ কৰে। (বেগেৰে প্ৰস্থান)

পানীফুকন।—দেখোঁ আজি, বাৰিষাৰ বেগবান ব্ৰহ্মপুত্ৰৰ ঢল ভেণ্ট কোনে! আহাঁহঁক, একে উছাহে শত্ৰুক চোৱাই লৈ যাওঁগৈ। (বেগেৰে প্ৰস্থান)

সকলোৱে।—জয় স্বৰ্গদেৱৰ জয়। জয় লাচিত বৰফুকনৰ জয়। (ৰণোন্মত্ত হৈ সকলোৱে প্ৰস্থান)

পঞ্চম গৰ্ভাঙ্ক

মানাহামুখ -মুকলি ৰণ-ক্ষেত্ৰ

(ফিৰুজখাঁ আৰু মাধৱচৰণ)

মাধৱ।—মোৰ কথা আপুনি শুনিলে। ভাৰ-ভেটীৰ ভাগ বিচাৰোঁ বুলি আপোনালোকে মোৰপৰা কথা লুকুৱালে। মই অমুকাই কিন্তু আটাইবোৰ জানোঁ। কৰোঁ বোলা হলে অনেক কৰিব পাৰিলোঁহেঁতেন। নকৰিলোঁ, কি দৰকাৰ!

ফিৰুজ।—কিয়, মই তো কোনো কথা চেপাদি ৰাখিবলৈ চোৱা নাই। বাৰু, যি হ'ল, হ'ল; এতিয়াও নোৱাৰিবা জানো?

মাধৱ।—নোৱাৰিম কেলৈ? অমুকাই নোৱাৰা কাম কি আছে? বৰফুকন দোতা মোৰ হাতত গুঁথি-লোৱা কড়ি, আৰু কি লাগে?

ফিৰুজ।—ঠিক, পাৰিবা, মোৰ বিশ্বাস হৈছে। কিমান লাগিব কোৱাঁ।

মাধৱ।—কিমান লাগিব! জীৱনটো বেচিলে যিমান পাম

সিমান লাগিব। নেদেখিলোঁ, নেওগ-ফুকনৰ জীৱন কেনেকৈ বেচা গ'ল?

ফিকুজ।—আচ্ছা, একো কথা নাই, মই তোমাক খুচি কৰি হে এৰিম।

মাধৱ।—এৰিবাঁ-নেৰিবাঁ আকৌ কি! হাততে নাপালে অমুকাই চুলি-এডালমানো আগ নাবাঢ়ে।

ফিকুজ।—(ধনৰ মোনা এটা মাধৱৰ কান্ধত আৰি দি) এতিয়া হ'ল নে? এয়া সম্প্রতিকলৈ হে, কাৰ্য্য সিদ্ধি কৰিব পাৰিলে আৰু আছে।

মাধৱ।—বাৰু, বাৰু, একো কথা নাই; দৌতাক মই আজিয়েই নালাগিমগৈ হ'বলা, হেঁঃ। (স্বগতঃ) কোনো উপায়েৰে আঁতৰিব পাৰিলেই হয়! (প্রকাশ্যে) এতিয়াই গলে এতিয়াই লগ পামগৈ। হওঁতে—

(চৈয়দ চানা উধাতু খাই-প্রৱেশ)

মাধৱ।—(স্বগতঃ) এয়ে আঁতৰিবৰ ছেগ।

(মাধৱ সাউৎকৰে প্রস্থান)

ফিকুজ।—কি হ'ল? হ'ল কি? খবৰ কি?

চানা।—খবৰ বৰ বিষম!

ফিকুজ।—কেনে বিষম? কি হ'ল? শত্রু কিমান দূৰৈত?

চানা।—কিমান দূৰৈত! এয়া, গাতে, পায়হি হে লাগে; বাৰিষাৰ বৰনৈৰ দৰে কল্‌কল্‌কৰে আগ বাঢ়িছে।

ফিকুজ।—কিয়, ভেটি ধৰিব নোৱাৰিলাঁ নে?

চানা।—ভেটি ধৰিবাঁ! ঠাৰৰিব নোৱাৰি, পাণ্ডুৰ কোঁঠ এৰি দি আহিও ৰক্ষা পোৱা নাই; পিচে পিচে বাঘে খেদাদি খেদি আহিবলৈ লাগিছে! আৰু, ভেটিবাঁ কাক? কিহেৰে? মই ইতিপূৰ্ব্বেই তোমাক এবাৰ কৈছিলোঁ নহয় যে, লাচিত বৰফুকন সাধাৰণ বীৰ নহয়। তেওঁৰ ৰণ-কৌশল অতি চমৎকাৰ, অতি বিচক্ষণ! তলতীয়া কৰ্ম্মচাৰীবিলাকো তেওঁৰ এনে অনুগামী যে, গা আৰু ছাঁ- হে বুলিবাঁ। অন্যৰ কথা নকওঁ, অকল লাচিত ফুকনৰে গতি ৰোধে কোনে? তেওঁ যেনি মুখ কৰে, একেবাৰে এফালৰপৰা দংশি নিয়ে! অসমীয়াৰ ভিতৰত এনে বীৰ আছিল বুলি নাজানিছিলোঁ! যি হওক, আহাঁ, এতিয়া আক্ষেপৰ সময় নহয়; মানাহাৰ কোঁঠ ৰক্ষা কৰোঁগৈ। (দুইৰো প্রস্থান)

(খোলা তৰোৱালেৰে লাচিত, গন্ধৰ্ব্ব, পানীফুকন প্রভৃতিৰ বেগেৰে প্রৱেশ)

নেপথ্যত।—(সৈনিকৰ আৰাৱ) পলা, পলা, পালেহি, পালেহি!

লাচিত।—আহাঁ, আহাঁ আগবাঢ়ি। চোৰাঁ, চোৰাঁ সোৱা শিয়ালৰ দল ছিটিকি পলাইছে। গন্ধৰ্ব্বৰে সৈতে মই পিচে পিচে খেদোঁ। পানীফুকনে আনবিলাকৰে সৈতে উভতি আগচি ধৰাঁগৈ।

(বেগেৰে প্রস্থান)

গন্ধৰ্ব্ব।—যাওঁ, যাওঁ, ময়ো আগবাঢ়ি ধৰোঁগৈ। বাঘে-খেদা দিওঁ আজি ফেকুৰাদলক।

(বেগেৰে প্রস্থান)

পানীফুকন।—আহাঁ, আহাঁ আগবাঢ়ি। বিজুলী-বেগেৰে গৈ আগচি ধৰোঁগৈ। শত্রুক কচু-কটা দি হেঁপাহ গুচাওঁগৈ। মোগলক আজি সমূলঞ্চে নিপাত কৰিম। উলটি গৈ বাৰ্ত্তা দিবলৈকে এটা বাকী নৰখ। আহঁ, আহাঁ, যাওঁ উৰাৰত হৈ।

(বিপৰীত বাটে সকলোৰে বেগেৰে প্রস্থান)

নেপথ্যত।—ধৰ্-ধৰ্, মাৰ্-মাৰ্, কাট, বান্ধ। (সৈনিকৰ আৰাৱ আৰু হিলৈৰ আৱাজ)

(ফিকুজ আৰু চানাক বন্দী কৰি লৈ পানীফুকন, গন্ধৰ্ব্ব, চক্রপাণি, চন্দ্রনাৰায়ণ আৰু লাচিতৰ পুনঃ প্রৱেশ)

লাচিত।—(ৰাঙলী খোলা তৰোৱাল জোকাৰি) আজি হে অলপ হেঁপাহ পলুৱালোঁ! শত্রুৰ তেজেৰে মনাহা ৰাঙলীকৈ বোৱাই আহি হে মোৰ ৰণ-লিপ্সা কিঞ্চিৎমান পৰিতৃপ্ত হ'ল! আহাঁ, মোৰ বীৰ সেনাপতিগণ, আহাঁ মোৰ বীৰ সেনাদল—আহাঁ, মোৰ কাষলৈ আহাঁ, তোমালোকে মোৰ ধন্যবাদ গ্রহণ কৰাঁহি। তোমালোক প্রকৃত বীৰ; বীৰ প্রসবিনী অসম মাতৃৰ তোমালোক সুযোগ্য

সন্তান। তোমালোকৰ আজিৰ সাহ, আজিৰ বল, আজিৰ উৎসাহ, আজিৰ পৰিশ্ৰম আৰু সবাতোপৰি অবিচলিত বিজয়-লক্ষ্য আৰু ৰণ-কৌশলৰ প্ৰতি তোমাসবৰ একান্ত মনোযোগ মই নশলাগি নোৱাৰোঁ। চমুকৈ ক'বলৈ গলে, আজিৰ ৰণ-জয় ঘাইকৈ তোমালোকৰ অদম্য উৎসাহ আৰু অসাধাৰণ বীৰত্বৰ ফলত হে লাভ হৈছে। সেই বাবে আজি মই অতুল আনন্দ উপভোগ কৰিছোঁ। এই ৰণৰ বিজয় বাৰ্ত্তা পাই স্বৰ্গদেৱেও অতিশয় সন্তোষ পাব। বলাঁ, এতিয়া যাওঁহঁক, মানাহত আমাৰ অস্ত্ৰ ধুই, অধিকৃত কোঁঠ চম্‌জি লৈ, শত্ৰুৰপৰা লাভ কৰা ধন-বস্তু আহিলা-পাতি আমাৰ ব্যৱহাৰৰ জোখাৰে যৎ-কিঞ্চিত ৰাখি বাকী সমুদায় এই দুই মোগল সেনাপতি বন্দীৰে সৈতে স্বৰ্গদেৱৰ ওচৰলৈ ভেটী পঠিয়াওঁগৈ। এই ধন-বস্তুৰে সৈতে, বিশেষকৈ পাণ্ডুৰ কোঁঠত লাভ হোৱা ৰচদ-পাতিৰে সৈতে স্বৰ্গদেৱে আমাৰ অকাল-গ্ৰস্ত প্ৰজাবৃন্দক আপদত সহায় কৰি সন্তোষ লভিব। এই ৰণত জয়লাভ কৰি আমি এদোপ্ উধাইছোঁ মাথোন, কিন্তু ইয়াৰ উপৰিও আমাৰ আৰু গুৰুতৰ কাৰ্য্য আগলৈ আছে। আহাঁহঁক, সদ্যহতে অস্ত্ৰ ধুই গুৱাহাটীলৈ আমি উলটি যাওঁগৈ। ইয়াত আমাৰ দুজন সুদক্ষ সেনাপতিৰে সৈতে দুদল ৰণুৱা ৰখীয়া থৈ যাবলৈ ব্যৱস্থা কৰা হ'ব। আহাঁ, তোমালোকে বন্দী লৈ পিচে-পিচে আহি থাকাঁ।

(প্ৰস্থান)

গন্ধৰ্ব্ব।—আহি থাকাঁ সঙ্গীসব, গজ-গমনেৰে আহি থাকাঁ। বৰফুকনৰ গাৰ লগে লগে মই ছাঁও আগ বাঢ়োঁ।

(প্ৰস্থান)

পানীফুকন।—আহাঁ মোৰ বীৰ সেনাদল। বিজয়-সঙ্গীতৰ সুৰত মন নচুৱাই গহীন গমনেৰে গুৱাহাটীমুখে আগ বাঢ়োঁহঁক।

সকলোৱে।—জয়, স্বৰ্গদেৱৰ জয়! জয় লাচিত বৰফুকনৰ জয়!

(পটৰ চৌপাশে ঘূৰি ঘূৰি সৈন্য-সেনাপতি সৈনিক খোজেৰে গীত গায়)

সৈনিক সঙ্গীত

আহাঁ আহাঁ ভাই সকলোৱে মিলি,
জনম ভূমিৰ উদ্ধাৰ সাধোঁ;
জনম ভূমিৰ, উদ্ধাৰ কাৰণে
সন্তানে জীৱন উছৰ্গা কৰোঁ॥
একে অসমৰ, এছোৱা যৱনে,
বলেৰে দখল কৰিছে চোৰাঁ;
একে অসমীয়া, এভাগ প্ৰজাই,
দেখিছোঁ সদায় চকু লো টোকা।
এতেকতে এবে, কৰ্ত্তব্য আমাৰ,
উদ্ধাৰোঁ সত্বৰে স্বজাতি ভাই;
উদ্ধাৰোঁ সত্বৰে জনম ভূমিৰ
যৱনে যি ছোৱা পীড়িছে হাঁয়॥
ৰাজভক্তি গুণে, অসমীয়া জাতি,
সবাৰো আগত জিলিকে আজি;
বিজয় পতাকা ৰজাৰ আমাৰ
উৰাম,—আহিছোঁ ৰণুৱা সাজি।
বীৰ প্ৰসৱিনী, অসম জননী,
লাচিত আমাৰ অসম বীৰ;
এনে মহাবীৰ, যাৰ সেনাপতি,
কি ভয়, কি ভয়,—জিনিম স্থিৰ॥
জিনিম শত্ৰুক, —পৰিম নতুবা—
ৰজাৰ আদেশ হইছে আগ;
ৰাজভক্তি পণ, প্ৰাণত আমাৰ,
জীৱন সৰ্ব্বস্ব কৰিম ত্যাগ।
লক্ষ্য ৰণ জয়, লক্ষ্য দেশোদ্ধাৰ,
অসম আমাৰ জনম ভূমি;
এই তিনি ধ্যান, নাই অন্য কাম
জিনিম মোগল নিশ্চয় আমি॥

দ্বিতীয় অঙ্কপাত

জিৰণিৰ পটক্ষেপণ

তৃতীয় অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

দিল্লী,—পাটচাৰ চ'ৰা

(আওৰংজেৱ, ঘাই উজিৰ, কটকী, ৰামসিংহ, নচৰৎখাঁ, ৰঘুনাথসিংহ)

কটকী।—জাহাপনা! অসমৰ খবৰ অতি বিষম! আহোম ৰজা চক্ৰধ্বজ সিংহই তেওঁৰ পূৰ্ব্ববৰ্ত্তী ৰজা জয়ধ্বজ সিংহৰ সন্ধি অগ্ৰাহ্য কৰিছে।

আওৰংজেৱ।—কি! ইমান আস্পৰ্দ্ধা! (ফিকি উঠি) সামান্য জংঘলী নগণ্য অসম ৰাজ্যৰ গৰাকী আহোম ৰজাৰ ইমান সাহ,—স্বয়ং দিল্লীশ্বৰৰ দ্বাৰা গৃহীত সন্ধি-সূত্ৰ ছিঙিবলৈ সি আগ বাঢ়ে!

কটকী।—অকল সিমানেই নহয়, জাহাপনা! আহোম ৰজা চক্ৰধ্বজে পূৰ্ব্বৰাজৰ অঙ্গীকৃত চই পেচ্‌কচৰ বাকী অংশ শোধাবলৈ অস্বীকাৰ কৰিছে।

আওৰংজেৱ।—ওঁ, ইমান পালেগৈ নে! (শিয়ঁৰি উঠে)

কটকী।—সিমানেও হোৱা নাই, জাহাপনা! অসমৰ ৰজাই দিল্লীশ্বৰৰ বিৰুদ্ধে ৰণ ঘোষণা কৰিছে।

আওৰংজেৱ।—কি! সঁচাকৈয়ে নে? (সিংহাসন এৰি উঠি আহে) সামান্য পতঙ্গ হৈ জুইত জাহ যাবলৈ ওলাইছে? মোগল পৰাক্ৰমৰ কথা অসমীয়াই জনা নাই হ'বলা?

কটকী।—অকল সেয়ে নহয়, জাহাপনা! আহোম ৰজাই ইতিমধ্যতে কেইবাখনো ৰণত জিকিছেও।

আওৰংজেৱ।—কি কোৱাঁ!—অসম্ভৱ। এইবিলাক নিশ্চয় অমূলক জনৰৱ। যি অসম ৰজাই সিদিনা মিৰাজুম্লাৰ আক্ৰমণ সহিব নোৱাৰি ৰাজধানী এৰি পলাই পৰ্ব্বত উঠিছিলগৈ, সেই অসম ৰজাই আজি আকৌ ৰণত জিকে! অসম্ভৱ কথা।

কটকী।—তাতকৈও অসম্ভৱো সম্ভৱ হৈছে, জাহাপনা! অসমৰাজে আমাৰ হাতৰপৰা বাঁহবাৰী, কাঁজলী আৰু পাণ্ডুৰ দুৰ্গ কাঢ়ি লৈ, গুৱাহাটী অধিকাৰ কৰি বহিছে।

আওৰংজেৱ।—অতি আচৰিত! কিয়, তাত আমাৰ কোনো মোগল সেনাপতি দুৰ্গ ৰক্ষা কৰোঁতা নাছিল নে?

কটকী।—আছিল, জাহাপনা! চৈয়দ চানা আৰু চৈয়দ ফিৰুজ তিনিখন ৰণত ঘাটি, অৱশেষত অসমীয়াৰ হাতত বন্দী হয়; আৰু সিবিলাক দুয়োকে গড়গাওঁ নগৰলৈ নিয়াই অসমৰাজে বধ কৰালে!

আওৰংজেৱ।—সঁচা নে? অতি অসহনীয় কথা! দিল্লীৰ গৌৰৱ এইদৰে হানি হ'ব লাগিলে আমি সম্ৰাট নাম গ্ৰহণ কৰাই বৃথা। আৰ্য্যাৱৰ্ত্ত আৰু দাক্ষিণাত্য গোটেই হিন্দুস্থান আজি যি দিল্লীৰ পদানত, নগণ্য অসম আজি তাৰ বিৰুদ্ধে উঠে! যি মোগলৰ বিজয় গৌৰৱ অক্ষুণ্ণভাৱে গোটেই ভাৰতত ৰাষ্ট্ৰ, সেই মোগল ক্ষমতা আজি সামান্য আহোম ৰাজৰ দ্বাৰা পৰাভূত! অসহন, অতি অসহন! তুৰন্তে ইয়াৰ প্ৰতিকাৰ হ'ব লাগে।

ৰামসিংহ।—সঁচা, সমুচিত প্ৰতিকাৰ হোৱা উচিত। সিফালে সম্ভৱতঃ আমাৰ ৰণবল যথেষ্ট নাছিল, নহলে নগণ্য অসমীয়া সেনাৰ হাতত মোগল পৰাজিত হোৱা নিশ্চয় অসম্ভৱ। তাতে আমাৰ ৰণবল ততোধিক ক্ষীণ হোৱাৰ সম্ভৱ; কাৰণ ৰণত আমাৰ সৈন্য ক্ষয় হোৱাৰ উপৰিও শত্ৰুৰ হাতত বিস্তৰ বন্দী হৈছে। অতএৱ, মোৰ বোধেৰে, অনতিপলমে বিপুল সৈন্য-বলৰে সৈতে অসমৰ বিৰুদ্ধে যুদ্ধযাত্ৰা হোৱা বিধেয়।

আওৰংজেৱ।—নিশ্চয়! অতি উত্তম প্ৰস্তাৱ। এই প্ৰস্তাৱ তুৰন্তে কাৰ্য্যত পৰিণত হ'ব লাগে। বিলম্ব সহ্য নহয়।

উজিৰ।—নিশ্চয়। বিলম্ব কৰাৰপৰা কাৰ্য্যত বিঘ্ন ঘটিবলৈ হে আছে। আৰু, এই যাত্ৰাৰ আয়োজন বিশেষ হ'ব লাগিব। অসমৰ আহোম ৰাজশক্তিক নগণ্য ভাবি উপেক্ষা কৰিব নালাগে। কাৰণ, আহোম ৰাজৰ ৰণবল তাকৰীয়া হ'ব পাৰে, কিন্তু অকামিলা নহয়। ইতিপূৰ্ব্বে কলিয়াবৰৰ ১ম আৰু ২য় যুদ্ধ, দিকৰাইমুখৰ যুদ্ধ, শ্ৰীঘাটৰ যুদ্ধ—এই কেইখন ৰণতে

অসমীয়া সেনাৰ পৰাক্রম আমাৰ ভালকৈ জনা আছে; কলিয়াবৰৰ দুয়োখন ৰণতে কাণে-কাণমাৰিয়ে হে আমাৰ মান ৰক্ষা পৰিছিল; দিক-ৰাইমুখৰ ৰণত আমাৰ তুৰবক হেন বীৰক বিহ্বল কৰি তুলিছিল, আনকি, সেই ৰণত আহোম মহিলায়ো ৰণত প্ৰাণ দিছিল; শ্ৰীঘাটৰ যুদ্ধত আমাৰ সত্ৰাজিত আৰু আবাবাকৰৰ নিচিনা যোদ্ধা অসমীয়াৰ হাতত ৰণত পৰিল আৰু আব্দুল চালামৰ নিচিনা তেজী যোদ্ধাকো ৰণত পৰাঙ্মুখ কৰি অসমীয়াই বন্দী কৰি আমাক পৰাভূত কৰিলে; মিৰজুম্লাৰ আক্রমণৰ ফলো তথৈবচ; সেই বাৰ আমাৰ লগত সন্ধি স্থাপিত নোহোৱা হলে, মিৰজুম্লা যে তাত দুই-এক বছৰতকৈ বেছি কাল টিকিব পাৰিলেহেঁতেন মোৰ এনে বোধ নহয়। এই বিলাকেই আহোম পৰাক্রমৰ জ্বলন্ত প্ৰমাণ। গতিকে আহোম-ৰাজক্ষমতাক ভাৰতবৰ্ষৰ ভিতৰত এটা বৰ দুৰ্জ্জয় ক্ষমতাৰূপে গণ্য কৰি, সেই অনুযায়ী আয়োজনেৰে হে আমাৰ যুদ্ধ-যাত্ৰা কৰা বাঞ্ছনীয়। আৰু, মোৰ বোধেৰে, জাহাপনাৰ অনুমতি হলে, আজিয়েই সেনাপতি নিৰ্ব্বাচন আৰু যুদ্ধ-যাত্ৰাৰ সিদ্ধান্ত হৈ যাব পাৰে।

আওৰেংজেব।—হওক, এতিয়াই হৈ যাওক। আমি আগ্ৰহেৰে অনুমতি দিছোঁ। এক মুহূৰ্ত্তৰ বিলম্বও সহ্য নহয়।

উজিৰ।—মোৰ বিবেচনাৰে আমাৰ সুদক্ষ সেনাপতি ৰজা ৰামসিংহক এই যাত্ৰাত ঘাই সেনাপতিৰ বাব দিয়া যুগুত। অম্বৰাধিপতি জয়সিংহৰ পুত্ৰ ৰামসিংহ এজন বিখ্যাত যোদ্ধা।

আওৰেংজেব।—উচিত বিবেচনা। এই প্ৰস্তাব গ্ৰহণ কৰি ৰজা ৰামসিংহক আমি ঘাই সেনাপতিৰ বাব দিলোঁ। সৈন্য-সামন্ত আৰু পালি সেনাপতি সমুদায় তেওঁৰ বাছনি মতে দিয়া যাওক। আৰু, মোৰ বকচিচ্ স্বৰূপে তেওঁক এটা ঘোঁৰা আৰু এখন হীৰাখটোৱা তৰোৱাল দিয়া হওক।

ৰামসিংহ।—জাহাপনা, মই আনন্দেৰে ঘাই সেনাপতিৰ বাব গ্ৰহণ কৰিছোঁ। সৈন্য-সামন্ত যি লাগে যথা-সময়ত বাছি লোৱা যাব। কিন্তু, পালি-সেনাপতি কেইজনৰ নিৰ্ব্বাচন এতিয়াই হোৱা উচিত। মোৰ বাছনি মতে, সম্ভহতে নচৰৎখাঁ, ৰঘুনাথসিংহ, বইৰামদেও, কিৰাতসিংহ, বৰ্ত্তিয়া—এই কেইজন মোৰ লগত যোৱাটো স্থিৰ হলেই ভাল।

আওৰেংজেব।—সেয়ে স্থিৰ। যোৱাঁইক, তুৰন্তে যুদ্ধ-যাত্ৰাৰ নিমিত্তে নিজ নিজ আয়োজনত ধৰাঁগৈ।

(সকলোৰে প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

দিল্লী—অন্দৰমহল

(আমিনা আৰু ৰমণী গাভৰু)

ৰমণী।—আমিনা! তুমি এদিন বাইজীৰ নাচোন এটা নাচি দেখুৱাবা বুলিছিলা, নহয়?—পাহৰিলা?

আমিনা।—পাহৰিছোঁ সঁচা। আপুনি কিন্তু নাপাহৰে। ভাল বাৰু, এতিয়াই দেখুৱাওঁ। (গীত গাই নাচে)

গীত

ৰাগিণী দেশ—সুৰ কাৰ্ফা

মউ পিওঁ পিওঁ কৰে প্ৰাণ ভৰি।
প্ৰেম সুধা সৰে জৰি জৰি॥
কিনো চাৰা শোভা, জলে পুণ্য প্ৰভা,
বয় শান্তি নই ৰূপে ৰস চৰি।
যাওঁ উটি বুৰি, চাওঁ উৰি ঘূৰি,
গাথোঁ তৰা-ফুল, নাচোঁ চালি ধৰি॥

ৰমণী।—আমিনা, তোমাৰ নাচ-গান দেখি-শুনি বৰ ভাল লাগিল। যাবৰ পৰত আৰু এটা গাই শুনাবা দেই।

আমিনা।—ভাল। আপোনাৰ ওচৰত যুৱৰাজ বৰ বাধ্য। যি কওঁ, তাতে তেওঁ মান্তি হয়।

ৰমণী।—কিনো কৈছিলা? কিহত নো মান্তি হোৱা যেন পালা?

আমিনা।—আপুনি যেনেকৈ শিকাই পঠিয়াইছিল, তেনেকৈয়ে কৈছিলোঁ।

ৰমণী।—এ, মই শিকাই পঠিওৱা কথা ময়ে পাহৰিছোঁ; আটাইখিনি মনত নাই। কোৱাচোঁ বাৰু, তুমি কি কি কৈছিলা।

আমিনা।—কলোঁ, বোলোঁ, "আহোম ৰাজকন্যাৰ ভাব-গতি আপোনাৰ ফালে বেয়া নহয়। পিচে, ইয়াত এতিয়ালৈকে তেওঁৰ মন হে বহা নাই। কাৰণ, অসমত মুকলিমূৰীয়াকৈ থকা ৰাজকন্যা, পিচে, ইয়াত অন্দৰমহলত পৰ্দ্দাৰ ভিতৰত থাকি তেওঁ স্ফূৰ্ত্তিহীন হৈছে। ইয়াত পাটচাৰ বেগমসকলৰ ওচৰত কেউপিনে ৰখীয়া-চন্তৰী দেখি তেওঁ আচৰিত মানিছে; আৰু কয় যে, পিঞ্জৰাত চৰাই বন্ধ কৰাৰ দৰে ইবিলাকক বন্ধ কৰি কিয় কষ্ট দিছে!" মোৰ এই কথা শুনি যুৱৰাজ অলপ আচৰিত হৈছিল। পিচে, মই বুজাই কলোঁ, বোলোঁ, অসম দেশত পৰ্দ্দা প্ৰথা নাই; আৰু তাত হেনো আহোম ৰমণী ৰাজসভালৈকো যাব পাৰে।

ৰমণী।—পিচে?

আমিনা।—পিচে, যুৱৰাজে মোৰ কথা মানিলে; আৰু সুধিলে কি কৰিলে নো আপোনাৰ মন মুকলি কৰিব পাৰি।

ৰমণী।-তুমি কি উত্তৰ দিলা?

আমিনা—মই আপুনি কোৱা ভাগেই কলোঁ, বোলোঁ, আহোম ৰাজকুমাৰীয়ে কিছুকাল পূৱৰ ফালে খনচেৰেক মোহলগা ঠাই দৰ্শন কৰি আহিবলৈ হেঁপাহ কৰে।

ৰমণী।—পিচে, পিচে?

আমিনা।—পিচে, যুৱৰাজে বাৰু বুলি আশ্বাস দিলে। কিন্তু মই সুধিলোঁ, বোলোঁ, অকল আপোনাৰ অনুমতি হ'লে হ'ব জানো? সম্রাটে বা বোলে কি?

ৰমণী।—পিচে, কি উত্তৰ দিলে তেওঁ?

আমিনা।—তেওঁ উত্তৰ দিলে, বোলে, বাৰু তাৰ উপায় হ'ব। তাৰ পাচত মই আকৌ সুধিলোঁ, কেনেকৈ নো পঠিওৱা হ'ব আৰু ক'ত ক'ত নো ফুৰিব।

ৰমণী।—পিচে, তাৰ উত্তৰ কি দিলে?

আমিনা।—তাৰ উত্তৰ দিলে, বোলে, কেনেকৈ পঠিওৱা হ'ব তাৰ ব্যৱস্থা মোৰ হাতত। ক'ত ক'ত ফুৰিব সেইটো ৰাজকুমাৰীৰ ইচ্ছা। পূৱ ফালে অনেক তীৰ্থস্থান আছে, সেইবোৰকে দৰ্শন কৰি আহিবগৈ পাৰিব।

ৰমণী।-বৰ সন্তোষ পালোঁ আমিনা! এই পোতাশালৰ নিচিনা ঠাইত তুমি মোৰ আচল বন্ধুৰ কাম কৰিছা। ইয়াৰ বাবে তোমাক কি দি সন্তুষ্ট কৰিম ভাবি পোৱা নাই।

আমিনা। এঃ, কি দিব লাগিছে? মোক প্ৰকৃত মিত্ৰ বুলি ভাবিছে যদি, মই কৰা উপকাৰৰ বাব দিয়াটো অন্যায় হে হ'ব।

ৰমণী।—সেইটোও সঁচা। আমিনা, তুমি যেনে বুদ্ধিমতী, তেনে জ্ঞানৱতী, আৰু ক'বলৈ গলে, তেনে ৰসৱতীও। বাৰু, এতিয়া তোমাৰ কৰিবলগীয়া বাব ফেৰি কৰিলেই আজিলৈ বিদায় পাবা।

আমিনা।—কি নো বাব?

ৰমণী।--আমনি নোপোৱা যদি কওঁ। আমিনা তুমি সিদিনা শুনাবলৈ গাত লোৱা এটি ব্ৰজাৱলী গান শুনোৱাৰ বাব।

আমিনা।—অ, সেই বাব! মই বোলোঁ কিবা হে! বাৰু, গাওঁ, শুনক।

গীত

ৰাগ—গৌৰী

ভালি নাচে মদন গোপাল,
বজায় মোহন বেণু গলে বনমাল॥
অৰুণ চৰণ দুহোঁ থমকে চলায়,
ঈষত ঈষত হাঁসি পঞ্চমত গায়।
শ্যামল সুন্দৰ চান্দ বয়ান বিকাশ,
বহয় মলয় মৃদু পদৰাজ আশ॥

ৰমণী ।—বেচ, বেচ আমিনা ! গানটি অতি মধুৰ লাগিছিল ।

আমিনা ।—ভাল, এতিয়া যাওঁ হে। তছ্লিম (চেলাম দিয়ে) ।

ৰমণী ।—বাৰু, যোৱাঁ । তোমাৰপৰা হে মোৰ যি এফেৰা সন্তোষ ।

(আমিনাৰ প্ৰস্থান ; ৰমণী চিন্তাযুক্ত)

ৰমণী ।—(স্বগতঃ) জানো ; কি হয়গৈ. ঈশ্বৰে হে জানে । এই ছেগতে ইয়াৰপৰা ওলাই ঘৰমুৱা হ'ব পাৰিলেই ৰক্ষা ।

(আঘনীৰ প্ৰবেশ)

ৰমণী ।—অ, বাই, আহিছ ? ভালেই হ'ল ।

আঘনী ।—কি নো ? কিয়নো ভাল হ'ল আইদেউ ?

ৰমণী ।—উলটি নুসুধিবি বাই ! শুনি যা, কৈ যাওঁ ।

আঘনী ।—বাৰু, বাৰু । কৈ যাওক, শুনি যাওঁ ।

ৰমণী ।—জানিছ বাই, আজি ৰাতি তোৰ লগতে ৰজনী সখীকো লৈ আহিবি। তেওঁক মোৰ সাজ-পাৰ পিন্ধাই চাব লাগিছে ।

আঘনী ।—কিয় নো ? আইদেৱে নিজকে দাপোণত যেনেটি দেখে তেনেটিয়েই হ'ব দেখোঁ। তাকে নো আকৌ সখীয়েকক সাজ-পাৰ পিন্ধাই চাব লাগিছে কেলৈ ? মানুহে দুইকো একে সাঁচতে উঠা বুলি হে কয় ।

ৰমণী ।—উলটি নধৰিবি বুলিছোঁ নহয় । শুনি গৈ থাক । মই পৰিহিলৈ ইয়াৰপৰা একালে যাম । মোৰ সলনি ৰজনী সখীকে মই বুলি থৈ যাম । এই কথা তই আৰু সখীয়ে জানিব মাথোঁ, আন কেৱে মই উলটি নাহোঁমানে ইয়াৰ সন্তেদ পাব নালাগে । মই যোৱাৰ পাচত মোক বুলি সখীক দেশ ফুৰাবলৈ যুৱৰাজে পাল্কী আৰু মানুহ পঠিয়াব । সখীয়ে ঠিক মোৰ সাজেৰে সাজি ওলাই যাব । তয়ো যাবি । তই কেতিয়াও লগ নেৰিবি । কিছুমান দিনৰ পাচত তইঁতক ওলোটাই আনি এই ঘৰতে থবহি । তইঁতে তাত ঠিক এতিয়া তয়ে-ময়ে থকাদি থাকিবিহঁক । মানুহৰ লগত বেচিকৈ কথাবাৰ্ত্তা নহবিহঁক । বিশেষতঃ, আমিনা আহিলে বৰ সাৱধানে চলিবিহঁক. যাতে তায়ো সখীক মই বুলিয়েই জানি থাকে । তাৰ পাচতো যি হয় হৈ গৈ থাকিব, তইঁতে কিন্তু কেতিয়াও এই সন্তেদ নাভাঙ্গিবি ; ভাঙ্গিলে তইঁতৰো মৰণ, মোৰো বিপদ । -যা এতিয়া । ময়ো অলপ ওলাই ইফাল-সিফাল কৰোঁগে ।

আঘনী ।--(হুমুনিয়াহ পেলাই) ভাল, আইদেউ !

(দুইৰো দুফালে প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

গুৱাহাটী,—বৰফুকনৰ বাহৰ

(মাধৱচৰণ আৰু চন্দ্ৰনাৰায়ণ)

মাধৱ ।—অ, বোলোঁ, আমাৰ ৰাজকুমাৰে ৰণৰ অন্ত পেলাই হে উলটিব নে, কেতিয়াকৈ উলটিব ?

চন্দ্ৰ । -এ, জানো দেও, কি কৰোঁ কব পৰা নাই এথোন । মিছাতে খাৰলি খাই মৰিছোঁহি নে কি জানো ।

মাধৱ ।—কিয় ? মন দেখোঁ অলপ বিচাতন দেখিছোঁ ? কিয় বা ?

চন্দ্ৰ ।—জানো উচাতন নে বিচাতন, তোমালোকে হে জানা দেও ! মিছাতে ইয়াত লেকাট লাগিবলৈ আহিলোঁ মাথোন, লাভত একো নহ'বগৈ যেন হে লাগিছে ।

মাধৱ ।— কিনো লাভৰ আশা কৰি অহা হৈছিল ?

চন্দ্ৰ ।—ৰাজকুমাৰৰ আশা কি হ'ব পাৰে ভাবি চোৱাচোন বাৰু ।

মাধৱ ।—চাইছোঁ, ধুকি পাইছোঁ,--ৰাজ্যলাভ । সেইটি বাৰু পাইছোঁ ; আপোনাক লাভ কৰিবলৈ দিবলৈ চাব নে এতিয়া নিজলৈ চাব ? ৰজা, বৰফুকন, বিষয়া—এইবিলাকৰ নিজৰ গাত তত্ নাই, আপোনালৈ চাব এতিয়া ? ভাল আশাত বন্ধ গৈছে হয় আপুনিও !

চন্দ্ৰ ।—এৰা, গম্ পাইছোঁ লাহে লাহে । এফেৰি ৰং-তামাচা, ফুৰ্ত্তি কৰিবলৈ আজৰি নোহোৱাকৈ খাটিও

বৰফুকনক সন্তোষ লগাব পৰা নাই, তেওঁ হেনো দায়িত্ব থকা ডাঙ্গৰ কাম মোৰ ওপৰত নির্ভৰ কৰি নিশ্চিন্ত হ'ব নোৱাৰে। নোৱাৰে ভালেই হে, ময়ো নিবিচাৰোঁ। তেওঁৰ লগত তো চৰাই হৈ উৰিব নোৱাৰি। ও ৰাম! অলপ জিৰাবলৈ-শঁতাবলৈ আজৰি নাই, অলপ ফূৰ্ত্তি কৰিবলৈ ছেগ নাই, কেৱল উৰোঁ উৰোঁ! সকলোৱে আকৌ তেওঁৰ দৰে পাৰিলে হে হয়।

মাধৱ।—নক'ব আৰু, এই পাকত হলে মোৰ মনে সৈতে মিলি গৈছে।

চন্দ্ৰ।—বাৰু, চাওঁ আৰু কেইটামান দিন। নহলে, গুচি যাবগৈ লাগে। আৰু এফালে তো হতাশ হৈছোঁৱেই। মিছাতে গাৰ দুখ, মনৰ কষ্ট!

মাধৱ।—আৰু নো হতাশৰ ইটো বিষয় কি?

চন্দ্ৰ।—(বিমৰ্ষ) এ, সুসুধিবা, সেইবোৰ কথা দেও।

মাধৱ—মাধৱে কিন্তু সুসুধিলেও সুবুজাকৈ নাথাকে। এই ভাগ প্ৰেমৰ বিকাৰ হ'ব পায়?—পিজলা গাভৰুদেউ তাৰ লক্ষ্য নহয় জানো?

চন্দ্ৰ।—তুমি তো কম শিয়ান নহয় দেখিছোঁ।

মাধৱ।—এ, কম নহয় দেখি তো এই দুটা দিন বৰ্ত্তিব পাৰিছোঁ।

(গন্ধৰ্ব্বৰে সৈতে পানীফুকনৰ প্ৰৱেশ)

পানী।—ডাঙৰীয়া ওলোৱা নাই হ'বলা?

মাধৱ।—বতৰা গৈছে হে, মোগল সেনাপতিৰ দূত এজনেও পত্ৰ এখন লৈ ৰখি হে আছেহি।

গন্ধৰ্ব্ব।—কোন জন? ক'তা?

মাধৱ।—সেয়া ছাঁতে বৈ জিৰাইছে। সৌৱা, সৌ চীখ চিপাহীটোৱেই।

(লাচিত বৰফুকনৰ প্ৰৱেশ)

লাচিত।—ক'তা? মোগলৰ দূত কেনি গ'ল?

মাধৱ।—সৌৱা। বাৰু, মই মাতি আনোগৈ।

(মাধৱৰ প্ৰস্থান)

চন্দ্ৰ।—দূত আহিবৰ ভালেখিনি পৰ হ'ল। বপুৰা বৰ নিৰ্জ্জু মানুহটি!

লাচিত।—নিৰ্জ্জু নহয়, স্থিৰমতি। সেইটো সিফালৰ সৈনিক শিক্ষাৰ গুণ।

(মাধৱৰ পিচে পিচে অজিতসিংহৰ প্ৰৱেশ)

মাধৱ।—(অজিতসিংহক ভেঁটাই দি) এখেতেই আমাৰ বৰফুকন বৰসেনাপতি ডাঙৰীয়া।

অজিত।—চিনি পাইছোঁ। (সৈনিকৰ চেলাম দি পত্ৰ আগবঢ়াই দি) দিল্লীশ্বৰৰ প্ৰধান সেনাপতি ৰজা ৰামসিংহই ডাঙৰীয়ালৈ এইখন পত্ৰ দি পঠিয়াইছে।

লাচিত।—বাৰু, দিয়াঁ। (পত্ৰ গ্ৰহণ কৰে; আৰু পঢ়ি ক্ষন্তেক গভীৰভাৱে চিন্তা কৰি চাই) তোমাক ইয়াৰ উত্তৰ এতিয়াই লাগে নে?

অজিত।—হয় হজুৰ। জবাব দিলে নিব পাৰোঁ, নহলে পঠিয়াই দিবও পাৰে।

পানী।—ডাঙৰীয়া। উত্তৰ পাচেকৈ পঠিয়ালেও নহ'ব জানো?

লাচিত।—হ'ব। পাচেকৈ আমাৰ দূতে লৈ যোৱা হে উচিত। (অজিতৰ প্ৰতি) বাৰু, পত্ৰৰ উত্তৰ পাচলৈ আমাৰ দূতে লৈ যাব। সেনাপতি ৰজাদেওক আমাৰ চালাম দিবাগৈ।

অজিত।—বহুত আচ্ছা হজুৰ! (সৈনিকৰ চেলাম দি ঘূৰি গহীন খোজেৰে প্ৰস্থান কৰে)।

লাচিত।—মোগলৰ সেনাপতি ৰজা ৰামসিংহই লিখিছে কি শুনিবাইক,—"পূৰ্ব্বৰ মোমাই তামুলী বৰবৰুৱাৰ সন্ধি মতে এতিয়াও অসুৰৰ আলি আৰু বৰনৈকে সীমা মানি আহোম ৰজাই গুৱাহাটী মোগলক এৰি দিব লাগে; নহলে দুঘণ্টামান যুঁজিও চাব পাৰে। তালৈকো তীৰ-বন্দুক নহলে আমাক খুজিলেও পাব পাৰে।"

গন্ধৰ্ব্ব।—উঃ, কেনে অসহনীয় গপ্প! পত্ৰৰ মৰ্ম্ম শুনি মোৰ সিৰে-সিৰে তেজ উতলিব লাগিছে! বৰ-সেনাপতি ডাঙৰীয়াৰ সাক্ষাত নোহোৱা হলে আজি দূতৰ মুখেই চুঙা চাই সোপা দিবৰ মন আছিল। বাৰু, ৰামসিংহই তেওঁৰ অনুমানৰ পৰিমাণ পাবলৈ আৰু সৰহ পলম নাই।

চন্দ্ৰ।—ইঃ, ইমান ফিতাহি! দূতৰ আগতে ভালকৈ গালি পাৰি পঠিয়াব লাগিছিল। সি নৌ যাওঁতেই শুনিলোঁ!

লাচিত।—তোমাৰ দৰে সকলো উতলা জানো? ধীৰে-শাঁতে পাচে-পৰে ভাবি-চিন্তি জোকৰ-মুখত-চুণ-পৰাকৈ উত্তৰ দিবলৈ বুলি স্থগিত ৰখা হ'ল। দূতৰ আগত গালি পৰাটো উজু কথা, কিন্তু সন্মুখ-সংগ্ৰামত ঠাৰৰি মহতালি দেখাব পাৰিলাহেঁতেন যদি তেহে। কিন্তু, তোমাক যতে দিওঁ ততে পোলোকা মাৰি তুমি পিচুৱাই পৰা দেখোন? তোমাৰ ওপৰত নিৰ্ভৰ কৰাৰপৰা কেইথন ৰণত কেইবাৰ মোৰ ৰণ-কৌশলত কেনা লগাইছিল মনতকৈ চাবাঁ। বাৰু, যি হওক, ৰামসিংহ সেনা-পতিয়ে এইখন আমাৰ পত্ৰৰহে উত্তৰ দিছে। এইদৰে উত্তৰাউত্তৰি কৰি থাকোতেই বাৰিষালৈ থকা দিন কেইটা পাৰ হলে আমালৈ হে ভাল। সিমানত নগৰৰপৰা আমাৰ ডাঙৰীয়া দুজনো সসৈন্যে পাবহি। এতেকে, মোৰ মনেৰে, সম্প্ৰতে এই ভাৱে উত্তৰ দি থোৱাই ভাল দেখোঁ,—"মান্ধাতাৰ বংশত জন্মি আৰু জয়সিংহৰ পুত্ৰ হৈ ৰামসিংহই তেনে কথা লিখিব নালাগিছিল; দুই-চাৰি ঘণ্টা যে যুঁজিব খোজে, দুই-চাৰি বছৰ যুঁজিবলৈ সাহ দিব নোৱাৰে নে? আৰু, তীৰ-বন্দুক খোজাৰ কথা যে কৈছে, বাৰু সম্প্ৰতি তেওঁকে লাগিব পাৰে, থাওক, দুই-চাৰি বছৰৰ পাচত লাগিলে খোজা হ'ব। কিন্তু, গুৱাহাটী ঈশ্বৰে আহোমক দিছে, তাক কদাপি মোগলৰ হাতত অৰ্পণ কৰা নাযায়।"—কি বোলাহঁক? গন্ধৰ্ব-নাৰায়ণে এই ভাৱেই এখন পত্ৰ লিখি মোৰ দস্তখত লৈ আজিয়েই আমাৰ দূতৰ হাতত মোগল শিবিৰলৈ পঠিয়াবাঁ।

গন্ধৰ্ব।—ভাল, আজিয়েই উত্তৰ পঠিওৱা হ'ব। আৰু, ডাঙৰীয়াই কোৱা মতেই লিখি আনি দস্তখত লমহি।

পানী।—ডাঙৰীয়াৰ উত্তৰ অতি বিতোপন হ'ব। আৰু, আমাৰ দূতৰ যোগে পঠিয়াবলৈ স্থিৰ হোৱাটোও উত্তম ব্যৱস্থা হৈছে। কিয়নো, তেতিয়া হলে আমাৰ ফালৰ এজনেও গৈ শত্ৰুৰ শিবিৰ সোমাই তাৰ অলেখ-লেখ চাই আহিবলৈ সুবিধা ঘটিব

গন্ধৰ্ব।--তেন্তে পত্ৰবাহকজন চতুৰ লোক হোৱা উচিত আমাৰ মাধৱ চৰণেই বোধ কৰোঁ সেই কামৰ নিমিত্তে উপযুক্ত লোক হ'ব। তেওঁ নগলে ময়ে এই দূতৰ বাব লবলৈ আগ বাঢ়িছোঁ।

চন্দ্ৰ।—নহয় নহয়। মাধৱেই হে তাৰ নিমিত্তে লায়ক।

মাধৱ।--অলায়ক নো কিহৰ নিমিত্তে? অমুকাক যতে দিয়ে ততে ৰাজী। মূঠেই বিপদলৈ নেঠেলিব!

লাচিত।—(মিচিকিয়াই) বাৰু, বিপদ নাই। দূত, কটকী, পত্ৰবাহক, এনেবিলাকক শত্ৰুৱেও অনিষ্ট কৰিব নাপায়। বাৰু, মাধৱেই যাবঁ।

মাধৱ।—ভাল, ডাঙৰীয়া দোতা, যাব লাগে। কিন্তু কথাটোহে কৈছোঁ। (স্বগত) বাৰু যাম, এই-খিনিতে লাভৰো এটি চেলু পোৱা গৈছে জানিবা। বৰফুকনে কলে-কৌশলে ৰণথন বাৰিষালৈ নিবলৈ যে ফাকতি তৰিছে, তাৰ সন্ধেদ দিওঁগৈ যদি, মোগল সেনাপতিৰপৰা যে ভালকৈ কিছু সৰকাব পাৰিম তাত সংশয় নাই। বেচ কথা, মনত ৰাখিবলগীয়া কথা!

লাচিত।—বাৰু, হৈছে এতিয়া; ভাবিব নালাগে। এতিয়া নিজ নিজ বহালৈ যোৱাঁগৈহঁক। যথাসময়ত যাৰ যি কৰ্তব্য কৰি থাকিবাহঁক। মনত ৰাখিবাহঁক, 'অসমে প্ৰতি অসমীয়াৰপৰা কৰ্তব্য বিচাৰে'।

(সকলোৰে প্ৰস্থান)

পানী ফুকন।-ডাঙৰীয়াৰ আদেশ শিৰোধাৰ্য্য। নিজ কৰ্তব্যত নিশ্চয় মতি ৰাখিম। কিন্তু শত্ৰু সেনা-পতিৰ পত্ৰৰ মৰ্ম্মলৈ মনত পৰিলে গা জ্বলি আহে! মোগল সেনাপতিৰ এই অযথা দানৰ প্ৰতিদান কাহানিকৈ দিব পাৰোঁ তাৰ নিমিত্তে আজিৰপৰা ক্ষণ গণনা হাতত ললোঁ। এই প্ৰতিদান নিদিওঁমানে

নিশ্চিন্ত নহওঁ দেখোঁ, ৰামসিংহই কিমানপৰ ঠাৰৰিব পাৰে।

চতুৰ্থ গৰ্ভাঙ্ক

আগীয়াঠুঁটি—তামীঘৰা শিবিৰ

(অজিত আৰু ৰামসিংহ)

অজিত। –অসম-ৰাজৰ আহোম সেনাপতিৰ ব্যৱহাৰ বৰ ভাল পালোঁ। আৰু, আহিবৰ সময়ত মোৰ আগত হজুৰলৈ চেলাম দি পঠাইছে।

ৰামসিংহ।—হ'ব তো, এজন সেনাপতিয়ে আন এজন সেনাপতিৰ প্ৰতি যথাবিহিত সন্মান দেখুৱাবই লাগে। এই ৰণ-নীতি সভ্য জাতিৰ লক্ষণ।

অজিত।—নহয়, মই আকৌ অসমদেশৰ কথা আমাৰ দেশত যেনে বুলি শুনিছিলোঁ, তেনে ভাবি হে গৈছিলোঁ। অসমীয়া মানুহ বোলে হেনো জংঘলী, অসভ্য। মই হলে বিপৰীত হে দেখিলোঁ।

ৰামসিংহ।—জংঘলী হয়; কিন্তু জংঘলী হলেই যে অসভ্য হব, সেইটো নহয়! এই জংঘলতে বশিষ্ঠ মুনিৰো আশ্ৰম আছিল।

অজিত। –আৰু এটা কথা আপোনাক জনাম বুলি ভাবি আহিছিলোঁ।

ৰামসিংহ।—কি? কৈ যোৱাঁ।

অজিত।—গোপনে হে কওঁ।

ৰামসিংহ।—বাৰু।

অজিত। শুনি আহিলোঁ, আমাৰ ৰচিদ্‌খাঁ হেনো মানুহ ঠিক নহয়। এওঁ অসমত আগেয়েও বহুদিন আছিল। মই সিবাৰ আহোঁতে তেওঁক ইযাতে পাই গৈছোঁ।

ৰামসিংহ।—পিচে, কি হ'ল নো?

অজিত।—অসমত বেছি দিন থকাৰ বাবেই বোধ কৰোঁ অসমীয়া মানুহৰ লগত তেওঁৰ ভাব দোচোৰা।

ৰামসিংহ।—কেনে নো দোচোৰা ভাব?

অজিত।—লাভ দেখিলে সিফালেও পেট দিয়ে।

ৰামসিংহ।—(গমি চাই) হ'ব পাৰে। মোৰ কাণত আন ফালৰপৰাও এনে কথা পৰিছেহি। আমি দিল্লীতে ৰচিদ্‌খাঁৰ নীচতাৰ বিষয়ে বিস্তৰ শুনিছিলোঁ; আৰু সেই কাৰণেই পাটচাহে তেওঁক অসমৰপৰা ফিৰাই নি ফিৰুজখাঁক গুৱাহাটীৰ থানাদাৰ পাতি পঠায়। এতিয়াও তেওঁ সেই স্বভাৱ এৰিব পৰা নাই, কেৱল মোৰ লগে লগে ৰখাৰ কাৰণে হে পাক-চক্ৰত ফুৰিবলৈ চল পোৱা নাই। অ, সেই কাৰণে হে বোধ কৰোঁ মোৰ আদেশ তেওঁ তামিল কৰাৰ প্ৰায় গহৰি কৰে, আৰু মুখে-মুখে জবাব দিবলৈ বিচাৰে। বাৰু, দেখোঁ আৰু কিছু দিন। কিন্তু, তুমি তো বৰ হুঁচিয়াৰ দেখিছোঁ। পাক এটা দি আহোঁতেই ইমানবোৰ সন্তেদ্ লব পাৰিলা!

অজিত। হজুৰ! কৰ্ত্তব্যত ফুৰিলে হুঁচিয়াৰ হ'বই লাগিব। নহলে নো মোৰপৰা চৰকাৰৰ কি উপকাৰ হ'ব?

ৰামসিংহ।—ঠিক। চীথ চিপাহীবিলাক এই বিষয়ত বৰ ঠিক। সেই কাৰণে হে মই সিহঁতক বেছি ভাল পাওঁ আৰু বিশ্বাস কৰোঁ। বাৰু, তুমি যোৱাঁ এতিয়া, খোৱা-মেলা কৰাঁগৈ।

অজিত।—বহুত আচ্ছা হজুৰ! মই আহোঁ। (স্বগতঃ) এফেৰি কৰ্ম্ম সাধিলোঁ। ৰচিদ্‌খাঁই অসমৰ ভিতৰুৱা কথা সোপাকে জানে, এওঁক খেদাব পাৰিলে হে মোৰ উদ্দেশ্য সিদ্ধিত বিশেষকৈ সুফল ঘটিব।

(প্ৰস্থান)

ৰামসিংহ।—(অকলে) কথাটো আপোনা-আপুনি প্ৰমাণিত হৈ পৰিল। মই আহিয়েই শুনিছিলোঁহি যে, কোনোবা দুটা মানুহৰে সৈতে ৰচিদ্‌খাঁৰ কিবা স্বাৰ্থ-চক্ৰান্ত চলিছিল। সেইটো ব্যৰ্থ হোৱাত হে তেওঁ দুয়োকুল হেৰুৱাব লগাত পৰে। তেওঁৰো মনোবাঞ্ছা পূৰ্ণ নহ'ল, আমাৰো দুবাৰ ৰণত পৰাজয় ঘটিল। সি যি হওক, এওঁৰ লগত সতৰ্ক হৈ ব্যৱহাৰ কৰিব লগাত পৰিছে। নতুবা, এওঁক একেবাৰে বিদায় দিব পাৰিলেও বেয়া নহয়। বাৰু, দেখা যাওক, আৰু কিছুদিন তেওঁৰ আলেখ-লেখ বুজি চাওঁ।—

অজিতসিং কিন্তু বৰ হুচিয়াৰ, বৰ বিশ্বাসী। এই ডেকা সৈনিকটি দেখাতেই বুদ্ধিমান। আমাৰ অসম-যাত্ৰাৰ পিচদিনা বাটকুৰা শিবিৰত ই আহি আমাৰ ফৌজত ভৰ্ত্তি হওঁতেই ইয়াৰ প্ৰতি স্বভাৱতে মোৰ মনোযোগ আকৃষ্ট হৈছিল। তেতিয়াৰেপৰা দিনে দিনে ই নিজ কাৰ্য্যেৰে মোক মোহ লগাই আহিছে। বাস্তৱিকতে ইয়াক মোৰ গা-চোৰা কামত ভৰ্ত্তি কৰি বৰ ভাল কাম কৰিলোঁ। (নিটাল মাৰি ৰয়)

(ৰচিদ্‌খাঁ আৰু ৰঘুনাথসিংহৰ প্ৰৱেশ)

ৰঘু।—এ, আমাৰ বৰসেনাপতি অকলে! চিন্তাত দেখোঁ মগ্ন!

ৰচিদ্।—চিন্তা তো বহুত কৰা হৈছে, তাৰ ফল হে ব্যৰ্থ।

ৰামসিং।—(মূৰ দাঙ্গি খঙ্গেৰে) ব্যৰ্থ কাৰ দোষত?

ৰচিদ্।—মোৰ দোষত হ'বলা?

ৰাম।—তোমাৰ দোষত নহয় যে কি? মোৰ উদ্ভাবিত উপায় আৰু কৌশল তোমাৰ ফেৰিয়াফেৰিত কেইটা ব্যৰ্থ হৈছে ভাবি চোৱাঁ।

ৰচিদ্।—ভাবি চাই হে কৈছোঁ, মোৰ ফেৰিয়াফেৰিত একো ব্যৰ্থ হোৱা নাই, মোৰ পৰামৰ্শ নোলোৱাত হে সকলো ভ্ৰষ্ট হৈছে। মই ইয়াতে থানাদাৰী কৰি অতকাল কটালোঁ, এই ঠাইৰ আও-ভাও মই নাজানো, আপুনি কালি আহেয়েই বেছি জনা হ'লহি!

ৰাম।—কি কোৱাঁ! মই এই ঠাইৰ হাল সুবুজা-নজনাকৈ এই মহাৰণ চলাইছোঁহি?

ৰঘু।—কিয় হ'ব তেনে কথা; আপুনি আহিবৰেপৰা আহোমৰ কোঁঠ লবলৈ যিবিলাক বিচক্ষণ উপায় উদ্ভাৱন কৰি ৰণ-কৌশল তৰিব লাগিছে, ৰণস্থলৰ হাল সুবুজাকৈ কোনে তেনে কৰিব পাৰে?

ৰাম।—ভাবি চোৱাঁ, তেজপুৰৰ ওচৰত লগা ৰণত জিকি যেতিয়া মোৰ দিহা মতে আমাৰ ফৌজে শত্ৰুৰ ৰণ-তৰী আক্ৰমণ কৰেগৈ, তেতিয়া ৰচিদখাঁৰ বাধা-বিঘ্ন হেতুকেই তাত জয় লাভ কৰিবঁ নোৱাৰিলোঁইক; তাৰ পাচত যেতিয়া ৰংমহলৰ কোঁঠ আক্ৰমণ কৰিবলৈ দিহা দিওঁ, তেতিয়াও এওঁৰ ফেৰিয়া-ফেৰিতে আমাৰ উদ্দেশ্য ভ্ৰষ্ট হয়। এইদৰে আৰু কেইবাটাও মোৰ সদুপায় এওঁ নষ্ট কৰিছে। এওঁৰ-পৰা ৰণত লাভ নহৈ বিস্তৰ ক্ষতি হৈছে দেখিছোঁ।

ৰচিদ্।—ক্ষতি হৈছে যদি, মোক পঠিয়াবৰে দৰ্কাৰ নাছিল।

ৰাম।—নাছিল তো দৰ্কাৰ। এতিয়াও দৰ্কাৰ নাই। তুমি ২৪ ঘণ্টাৰ ভিতৰত ভটীয়াই গুচি যোৱাঁগৈ। নহ'লে, ৰঘুনাথ, এওঁৰ তম্ৰীঘৰৰ ফঁয় কাটি উঠাই দিবাঁ।

(খঙ্গেৰে প্ৰস্থান)

ৰচিদ্।—বাৰু, আমিও যাবলৈ হে প্ৰস্তুত। একো কথা নাই। বাৰু, বৰ্গী যাওঁ এতিয়া। ৰামসিংহ কিমানলৈ তন্তে ময়ো দেখিম।

(ৰচিদ্ আৰু ৰঘুনাথৰ প্ৰস্থান ; ৰামসিংহ চিন্তাযুক্ত)

পঞ্চম গৰ্ভাঙ্ক

গড়গাওঁ,—ৰজাৰ বৰচ'ৰা

(চক্ৰধ্বজ, বুঢ়াগোহাঞি, বৰগোহাঞি, বৰবৰুৱা)

চক্ৰধ্বজ।—ৰামসিংহ সেনাপতিৰ অহঙ্কাৰৰ বৰকথা শুনিছাঁইক ;—ৰামসিংহই বোলে আমাক হতীয়াহতি যুদ্ধলৈ আহ্বান কৰিছে! তেওঁ ভাবিছে বোধকৰোঁ, তেওঁতকৈ আৰু বিচক্ষণীয় যোদ্ধা নাই, তেওঁৰে সৈতে সম্মুখ-সংগ্ৰাম দিব পৰা সেনাপতি অসমত নোলাব ; কিন্তু আছে নে নাই আমাৰো দেখুৱাবৰ মন যায়, আৰু হতীয়াহতি যুদ্ধত তেওঁ কিমান পৰ ঠাৰৰিব পাৰে তাৰো প্ৰমাণ চাবৰ ইচ্ছা হয়। পিচে, তেনে উধত্ মানুহৰ ইচ্ছা পূৰাবলৈ গলে আমাৰ মৰ্য্যাদা নৰয়, ইন্দ্ৰবংশী ৰাজ-সিংহাসন লাঞ্ছিত হয়! নতুবা, পাটচাহ আওৰংজেৱে সেই আহ্বান দিয়া হলে তাক আগ্ৰহেৰে গ্ৰহণ কৰা গ'লহেঁতেন, আহোম ৰাজ-সিংহাসনৰ বাহুবল দেখুৱালোঁহেঁতেন।

বুঢ়াগোহাঞি।—উঃ; মোগল সেনাপতিৰ ইমানটো গপ্প! তেওঁ গছৰ গুৰিলৈ চাপি নোচোৱাকৈ একেবাৰে আগলৈ হাত মেলে! আগেয়ে তেওঁ তেওঁৰ সমনীয়া

সেনাপতিৰে সৈতেহে ৰণ কৰি চাওক কিমানপৰ ঠাৰৰিব পাৰে, তাৰ পাচত পাচৰ কথা। সন্মুখ-সংগ্ৰামলৈ সৃষ্টম হৈ তেওঁৰ সমুখতে আহোম বীৰ লাচিত বৰ-ফুকন বিদ্যমান; প্ৰথমে তেওঁৰ আগতে থিয় দি ঠাৰৰকচোন; তাৰ পাচত আমি আছোঁ; আমাৰ পাচতো যি হয় হ'ব!

ৰবৰুৱা।—ৰামসিংহৰ প্ৰলাপত আমাৰ লাগিবৰ সকাম নাই। তেওঁৰ উক্তি শুনিয়েই আমি যুক্তি ধুকি পাইছোঁ! বাট এৰি অবাটে চলোঁতাক পৰি-মৰাহে বোলে!

চক্ৰধ্বজ।—তথাপি, এনে অহঙ্কাৰ অসহনীয়। ৰামসিংহৰ দৰ্প তুৰন্তে চূৰ্ণ হ'ব লাগে।

বুঢ়াগোহাঞি।—নিশ্চয় ৰামসিংহৰ দৰ্প চূৰ্ণ হ'ব লাগে। স্বৰ্গদেৱৰ অনুমতি হওক, মই তুৰন্তে বৰফুকনৰ সাহায্যাৰ্থে সসৈন্যে যাত্ৰা কৰোঁ।

ৰবগোহাঞি।—যাত্ৰা কৰিবাই তো, আমিও কৰিব লাগিব। পিচে, আগধৰি ইমানকৈ উতলিবৰ প্ৰয়োজন নাই। আমি নো তুৰন্তে যাত্ৰা কৰোঁ কিয়? চাওচোন, বৰফুকনৰ লগত তেওঁ কিমান পৰ ৰবিব পাৰে।

চক্ৰধ্বজ।—বৰগোহাঞি ডাঙৰীয়াৰ যুক্তিও সাৰুৱা; আৰু ইতিমধ্যতে ৰামসিংহৰ কোঁঠ আক্ৰমণ কৰিবৰ অৰ্থে বৰফুকনলৈ আদেশ আৰু উপদেশ পঠিওৱা যাব। কিন্তু, যদিও লাচিত বৰফুকনৰ অসামান্য বীৰত্বৰ ওপৰত আমাৰ অটল বিশ্বাস, তথাপি তাত তেওঁক অকলে ৰবিবলৈ দি তাৰ ফলাফললৈ ইমান দূৰৈত আমি অপেক্ষা কৰি থকাটো সঙ্গত বিবেচনা নকৰোঁ। গতিকে, সিফালে বৰফুকনে মোগল সেনাপতিৰ কোঁঠ অৱৰুদ্ধ কৰোক, ইফালৰপৰা বুঢ়াগোহাঞি ডাঙৰীয়া তেওঁৰ সাহায্যাৰ্থে সসৈন্যে যাত্ৰা কৰোক।

ৰবৰুৱা।—হৈছে স্বৰ্গদেৱ! এয়ে উত্তম ব্যৱস্থা। আদেশ পালে আমিও যাওঁ।

চক্ৰধ্বজ।—এয়ে স্থিৰ। বুঢ়াগোহাঞি ডাঙৰীয়াৰ সকলো আয়োজন বোধকৰোঁ ঠিক আছে?

বুঢ়াগোহাঞি।—হৈছে, স্বৰ্গদেৱ! মই কেতিয়াবাৰেপৰা প্ৰস্তুত আছোঁ; আজিয়েই যাত্ৰা কৰিব পৰা যায়। ইফালে উজাই আহি মোগল সেনা তেজপুৰ পাইছেহি; সিফালে চেঁচাতো সিহঁতে এটা হেঁচা দিছেহি। এই যাত্ৰাতে মই সেই মোগল ফৌজ দুটা তেজপুৰ আৰু চেঁচাৰপৰা ওফৰাই চলিয়াই লৈ যাওঁগৈ।

চক্ৰধ্বজ।—বাৰু, কাইলৈ পুৱাতে যাত্ৰা কৰা হ'ব লাগে। তাৰ পাচত বৰগোহাঞি ডাঙৰীয়াও এই ৰূপেই প্ৰস্তুত থাকিব লাগে; প্ৰয়োজন হোৱা মাত্ৰে যেন যাত্ৰা হ'ব পাৰে। সম্প্ৰতি অহা যাত্ৰাতে আৱশ্যকত-কৈও অলপ অধিক খাৰ-গুলী অস্ত্ৰ-শস্ত্ৰ ৰণক্ষেত্ৰলৈ পঠিয়াব লাগে। ইফালে ইয়াত আমি তাৰ অপৰ্য্যাপ্ত যোগানৰ আয়োজনত ধৰোঁহঁক; এই অৰ্থে অনতি-পলমে যুগুত আয়োজনত ধৰিবলৈ খাৰঘৰীয়া ফুকনক আদেশ কৰা গ'ল; ৰবৰুৱাৰ গাত তাৰ তত্ত্বাৱধানৰ ভাৰ থাকিল। এতিয়া সবাৰে মিলি উপস্থিত যাত্ৰাৰ আয়োজনত সহায় কৰিবগৈ লাগে; সন্ধ্যাৰ পূৰ্ব্বে আমি সমস্ত আয়োজন পৰিদৰ্শন কৰিমগৈ।

(সকলোৰে প্ৰস্থান)

ষষ্ঠ গৰ্ভাঙ্ক

বৰফুকনৰ বাহৰ,—ভিতৰ-চ'ৰা

(পিজলা গাভৰু আৰু গন্ধৰ্ব্বনাৰায়ণ)

পিজলা।—(অকলে) হায়, কিবা এটি যেন নাই! মন উগুল-থুগুল আৰু প্ৰাণ উৰুভা লাগিছে কিয়? তেওঁচোন মোৰ এতিয়ালৈকে একোৱেই নহয়। তথাপি, দুদিন নেদেখিলে দুবছৰ যেন লাগে কিয়? কেতেকী বাইক পঠিয়াই মতাই আনিম যেন! পিচে,—

(গন্ধৰ্ব্বৰ হঠাৎ প্ৰৱেশ)

গন্ধৰ্ব্ব।—অকলে আপোন মনেৰে দেখোন?

পিজলা।—(লাজত তলমূৰ কৰি) এৰা, সাক্ষাতকে নাপাওঁচোন?

গন্ধৰ্ব্ব।—ক্ষমা কৰিবাঁ, পিজলা!

পিজলা।—কিহৰ ক্ষমা? আপুনি কিবা জগৰ লগাই আহিছে নে কি?

গন্ধৰ্ব্ব।—ডাঙৰ জগৰ।

পিজলা।—কি-বা?

গন্ধৰ্ব্ব।—তোমাক আজি ভালেমান দিন দেখা দিবহি পৰা নাই।

পিজলা।—ভালেমান দিন! পৰহিচোন সাক্ষাৎ পাই-ছিলোঁ। মই হে পাহৰিছিলোঁ।

গন্ধৰ্ব্ব।—এৰা, ভালেমান দিন যেন লাগিছিল।

পিজলা।—(হৰিষৰ হাঁহিৰে) লাগিব পাৰে; মোৰ প্ৰতি ই আপোনাৰ অনুগ্ৰহৰ চিন্।

গন্ধৰ্ব্ব।—অনুগ্ৰহ নহয়, তাতকৈ এফেৰি মধুৰ বিধৰ। কি বাৰু, কোৱাঁ, মই নোকোৱাকৈ।

পিজলা।—জানো!

গন্ধৰ্ব্ব।—জানা যদি, কোৱাঁ আকৌ।

পিজলা।—ভাল, আপুনিও!

গন্ধৰ্ব্ব।—ভাল নহয়, বেয়া জানো? অ, মোক বেয়া পাইছাঁ?

পিজলা।—(তলমূৰকৈ) তেনে কথা নক'ব দেই।

গন্ধৰ্ব্ব।—কওঁ যদি, কি দণ্ড?

পিজলা।—জানো, আপুনি কি কয়?

গন্ধৰ্ব্ব।—মোৰ ভাষা তুমি নুবুজাঁ নে কি?

পিজলা।—আপোনাক নো কথাত কোনে ভাগৰাব!

গন্ধৰ্ব্ব।—ৰণত হলে ভাগৰা নাই আজিলৈকে; কথাত যদি ভাগৰোঁ কেতিয়াবাকৈ, তোমাৰ ওচৰত হে।

পিজলা।—অ, ভাল মনত পৰিছে, সিদিনা এৰাৰপৰা ৰণৰ কথাখিনি নকয় নো কিয়?

গন্ধৰ্ব্ব।—ভাল কথা হ'ল! আৰু এটা অপৰাধ!

পিজলা।—নকয়? বাৰু নালাগে ক'ব। (মুখ আমোলায়)

গন্ধৰ্ব্ব।—নহয় নহয়, কওঁ কওঁ; তোমাৰ বোহ-পতা মুখখনি চাবৰ মনেৰে হে তেওঁ এইখন চতুৰালি কৰা হৈছিল। কওঁ শুনা। কোন্‌খিনিৰপৰা কম? কি কম বাৰু?

পিজলা।—আকৌ বোলে কি কম? যি কবলৈ কৈছো, তাকে কওক। যিখিনি মই শুনিবলগীয়া, সেই-খিনি শুনাওক।

গন্ধৰ্ব্ব।-কোন্‌খিনি বা শুনাব লাগে এতিয়া? মহা ভাবনাত হে পৰিলোঁ!

পিজলা।—আপোনাৰ ৰসিকতাৰো অন্ত নপৰে, মোৰো শুনা নহ'ব এই দৰে। মোৰ বিশেষ লাগতিয়াল-খিনিৰ দুটামান কথা মই সুধি যাম, আপুনি কৈ যাব।—দেই?

গন্ধৰ্ব্ব।-দেই।

পিজলা।—ৰণক্ষেত্ৰত দেউতাই আপোনাক ভাল পাইছে নে?

গন্ধৰ্ব্ব।—(গহীন) সেইটো মই কেনেকৈ কম। স্বদেশৰ মঙ্গলাৰ্থে মোৰ দেহ-মন প্ৰাণ উছৰ্গি দিছোঁ, তদুপৰি বৰসেনাপতি গুৰুদেৱক সন্তুষ্ট কৰিবলৈ মোৰ সদায় লক্ষ্য। ভগৱন্তেহে জানে, কিমানদূৰ কৃতকাৰ্য্য হ'ব পাৰিছোঁ।

পিজলা।—মানুহেও অলপ জানে। আমিও এফেৰি সম্ভেদ পাইছোঁ। ভগৱন্তে আপোনাৰ সজ আৰু সৰল উদ্দেশ্য যেন সিদ্ধি কৰে।

গন্ধৰ্ব্ব।—তোমাৰো মনোৰথ যেন পূৰ্ণ হয়। যাওঁ, সময় হৈছেহি, আগীয়াঠুটি কোঁঠ অৱৰোধৰ দিহা লওঁগে! (উদ্যত)

পিজলা।—যাওক, ৰণত বিজয়ী হৈ আহকগৈ। যাওঁ, ময়ো দেউতাৰ আলপৈচান ধৰোঁগৈ। (প্ৰস্থান)

গন্ধৰ্ব্ব।—(আপোনা-আপুনি) অহ, নিজনি বিলৰ নিৰ্ম্মল পানীত পদুম কলিৰ প্ৰতিবিম্বৰ দৰে, পিজলাৰ নিৰ্ম্মল হিয়াত মোৰ দেহ-মন-প্ৰাণৰ প্ৰতিবিম্ব এটি দেখোঁ যেন লাগি যায়!—এই হেন ভীষণ ৰণকেন্দ্ৰৰ দোৰ্ঘোৰ অশান্তিৰ মাজতো সেই হিয়া-দাপোণত আত্মৰূপ দেখি পৰম শান্তি লাভ কৰোঁ! যাওঁ, কঠোৰ কৰ্ত্তব্যে কৰুণ প্ৰেমৰ বাধা নামানে!

(প্ৰস্থান)

সপ্তম গৰ্ভাঙ্ক

আগীয়াঠুঁটি কোঁঠ, - ৰণস্থল

(অজিত আৰু ৰামসিংহ)

ৰামসিংহ।—অজিত!

অজিত।—হজুৰ!

ৰামসিংহ।—আজিৰ খবৰ কি?

অজিত।—খবৰ ভাল নহয়, হজুৰ! আগীয়াঠুঁটি কোঁঠৰ দক্ষিণে আহোমৰ পালি সেনাপতি পানীফুকনৰে সৈতে আমাৰ নচৰৎখাঁ সেনাপতিয়ে এখন ৰণ দিছিল; পিচে তেওঁ খেদা খাই উলটি আহিছে।

ৰামসিংহ।—লাচিত বৰফুকন ৰণস্থললৈ অহা নাই দেখোন?

অজিত।—নাই অহা। বৰসেনাপতি বৰফুকনে বোলে আপোনাৰে সৈতে হে লৰি চাব।

ৰামসিংহ।—উঃ, কি আস্পৰ্দ্ধা! শিয়ালে সিংহে লৰি দেখুৱাব খোজে! ৰামসিংহই কিন্তু শিয়াল বধ কৰি বীৰত্বৰ অখ্যাতি নানে; বাঘে-সিংহে হলেও অলপ লৰি চাব পাৰি; সেই হে কওঁ, আহে যদি আহোম ৰজা চক্ৰধ্বজসিংহ স্বয়ং আহক, অলপ চিনাকি দি পঠিয়াওঁ! বাৰু, দেখা যাওক। ব'লোঁ, এইবাৰ সম্প্ৰতি ৰঘুনাথসিংহ আৰু কিৰাতসিংহ বৰ্ত্তিয়াক একেলগে পঠিয়াই আছোঁ।

অজিত।—(স্বগতঃ) আস্পৰ্দ্ধা কাৰ, নেদেখা জনেহে দেখিছে! (দুইৰো প্ৰস্থান)

(হেবাথুৰিখাই চন্দ্ৰনাৰায়ণৰ প্ৰৱেশ)

চন্দ্ৰ।—ইস্, ইস্, ইস্, পৰি-ধৰি মৰোঁ! ভাল জানিবা মিছাতে এইখনত লটি-ঘটি হৈ মৰিছোঁহি! ৰাজ্য লাভৰ আশা যে এৰিছোঁৱেই, গৈ-থৈ দেহাৰো আশা এৰিব লাগিবগৈ যেন হে পাইছোঁ! (গা ভিৰাই উলটি-উভতি পিঠিলৈ চাই) ছিঃ! ধূলি-মাকটি লাগি গোটেই কাপোৰ-কানি গুচিল। (হাতৰ ৰুমালেৰে গাৰ চোলাৰ ধূলি জাৰি) ইস্, ইস্, এই পোছাকেৰে মানুহৰ আগত ওলাবলৈকে বেয়া লগা হ'ল! (আকৌ ধূলি জাৰে)—

(গন্ধৰ্ব্বনাৰায়ণৰ প্ৰৱেশ)

গন্ধৰ্ব্ব।—কি কৰিছা তুমি? পানীফুকন আৰু ৰাজখোৱা ওলোৱাহি নাই নে?

চন্দ্ৰ।—কোন্ ওলায়হি কোন্ নোলায়হি কোনে জানে! নিজৰ তৰণি নাই! আনৰ খবৰ ৰাখোঁ!

গন্ধৰ্ব্ব।—কিয়, তোমাৰ নো কিয় তৰণি নাই?

চন্দ্ৰ।—নেদেখিছা, পৰি-ধৰি কি হৈছোঁ! (গাৰ ধূলি কোবায়)

গন্ধৰ্ব্ব।—ক'ত নো পৰিলা? কেনেকৈ?

চন্দ্ৰ।—ক'ত? কেনেকৈ? নেদেখিলা, সেই বাঘ যেন ৰণুৱা জাকে পানীফুকনক এৰি আমাৰ ফালে চোঁচা ললে, মই তৰা-নৰা ছিঙি লৰি পলাই হে সাৰিছোঁ; লগৰ জাকৰ কি হৈছে ক'ব নোৱাৰিছোঁ এথোন। বাটত পৰি-ধৰি গোটেই একতৰ্ হলোঁ!

গন্ধৰ্ব্ব। তুমি তো ভাৰি যোদ্ধা! সেই জাক আমাৰ খেদা খাই পলাই যোৱা মুছলমান ৰণুৱা; পলৰীয়াৰ আগত পৰিয়েই তুমি পলাব লগাত পৰিল নে? তাতে ইমান বিহ্বল হৈছা!

চন্দ্ৰ।—এঃ বিহ্বল হোৱাৰ কথা কৈছা, কাপোৰ-কানি গুচিল নহয়, নেদেখিছা!

গন্ধৰ্ব্ব।—সিও এটা কথা।—ই যে ৰণক্ষেত্ৰ, তোমাৰ গা-ঘেলোৱা বিলাসভূমি নহয়।

(লাচিত আৰু পানীফুকনৰ প্ৰৱেশ)

পানীফুকন।—এইবাৰ বোলে মোগল সেনাপতি একেলগে দুজন ওলাই আমাক গিলিপ মাৰি ধৰিব পৰাকৈ আহিব।

লাচিত।—আহক, ভাল হৈছে। কেনেকৈ জানিলা?

পানী।—আমাৰ চোৰাংচোৱাই ৰামসিংহৰ গা-চোৱা সেই অজিত নামে চীখ চিপাহীটোক লগ পাইছিল। সি এই সংবাদ ভিতৰ-বিশ্বাসত দিছিল। অজিতৰ ভাবটো যেন আমাৰ ফলীয়া, এনে লাগি যায়।

লাচিত।—কোঁঠৰপৰা শত্ৰুৰ সৈন্য বাহিৰলৈ ওলায়মানে আমালৈ ভাল। কিন্তু, পাৰ্য্যমানে সিহঁতক ৰণৰ কেন্দ্ৰস্থললৈ চাপিবলৈ দিব নালাগে। অজিতৰ

আমালৈ সহানুভূতি থাকিবও পাৰে; কাৰণ, যি মানুহটি বৰ ধাৰ্ম্মিক, গোৰা হিন্দু। অসমীয়া আৰু পছিমীয়া হিন্দুৰ আৱ-ভাৱৰ বৰ মিল!

গন্ধৰ্ব্ব।—সিহঁতৰ দুজন ওলাইছে যদি, আমিও দুজনেইচোন সমুখ হৈ চাওঁ; পানীফুকনে মযে সম্ভহতে আগ বাঢ়োঁ। দেখোঁচোন, আমাৰ আগত সিহঁত কিমান-পৰলৈ ঠাৱৰে।

লাচিত।—বাৰু, আগ বাঢ়ঁহঁক। আমিও ওলাই দেখুৱাওঁ; আমাক তাকৰীয়া দেখিলে, শত্রুপক্ষ সৰহীয়াকৈ নোলাব পাৰে। কিন্তু, সৰহীয়ালৈকো আমাৰ হিয়া নডৰায়,—সিংহৰ এটা, শিয়ালৰ জাক-জাক! —মনত ৰাখিবাঁ।

(ৰামসিংহ, অজিত, নচৰৎখাঁৰ প্ৰৱেশ)

নচৰৎ।—অসমীয়া সেনা সৰহ নহয়, কিন্তু সিহঁতৰ চল বেছি, আমি ঘূৰোঁমানে সিহঁত গা পায়হিয়েই!

অজিত।—সৰহ নহয় যদি, আমাৰ সৰহীয়াকৈ গৈ বিপক্ষক গিলিপ মাৰি ধৰিলেই হয় দেখোন। কিন্তু, অসমীয়া ৰণুৱা লেখত পৰা হলেও জোখত চৰা হ'ব পায়, আৰু অসমীয়া সেনা ৰণত বিমুখ নহয়, নপলায়।

ৰামসিংহ।—আচ্ছা, এইবাৰৰ ফলাফল দেখা যাওক। আহাঁ, আমি দুৰ্গৰ সিলুটিৰপৰা লক্ষ্য কৰোঁগৈ, এইবাৰ লাচিত ফুকন ওলায় নে কি চাব লাগে। লাচিত কেনে যোদ্ধা নিলগৰপৰাই এবাৰ চোৱা যাওক। (কেইওজনৰ প্ৰস্থান)

(গন্ধৰ্ব্ব আৰু পানীফুকনৰ প্ৰৱেশ)

গন্ধৰ্ব্ব।—যি হওক, তেও সমানে সমানে লাগি জিকিলোঁ।

পানী।—আৰু, সিহঁতৰ সৈন্য-সংখ্যা আমাতকৈ অনেকগুণে বেছি আছিল; আমাৰ যিমান গৈছিল, সিমানখিনি সিহঁতৰ ৰণত পৰিছেই। কিন্তু, যি হওক, শত্রুসৈন্য কচুকটা দি, তেও আজি হেঁপাহ পলুৱালোঁ।

গন্ধৰ্ব্ব।—মই সেনানায়কৰ কথা হে কৈছোঁ; সিহঁতৰো দুজন, আমাৰো দুজন। পিচে, আমি দুয়ো সিহঁতৰ দুইকো হৰুৱালোঁ।

পানী।—এইবাৰ সিহঁতৰ ঘাই সেনাপতি ৰামসিংহ স্বয়ং ওলাইছে কিন্তু নিলগে নিলগে হে; তেওঁ নিলগৰপৰা দিহা দিছে, নিজে লিপ্ত হোৱাহি নাই এথোন। কিন্তু, তেওঁকো লিপ্ত কৰাই হে এৰিম আজি।

গন্ধৰ্ব্ব।—আমাৰো ঘাই সেনাপতি বৰফুকনে স্বয়ং লৰিব এইবাৰ। এইবাৰ হে বাৰ; এইখন হে চাবলগীয়া ৰণ হ'ব। যাওঁ বলাঁ, আমিও সষ্টম হওঁগৈ।

পানী।—বলাঁ, বলাঁ, আমাক বিচাৰিবই পায়।

(দুইৰো বেগেৰে প্ৰস্থান)

(অজিত আৰু ৰঘুনাথ সিংহৰ প্ৰৱেশ)

ৰঘুনাথ।—অসমীয়া ৰণুৱাৰ ইমান তেজ বুলি মই আগেয়ে নাজানিছিলোঁ! ভাবিছিলোঁ, বোলোঁ, মিৰজুম্লাৰ সামান্য আক্ৰমণ এটা সহিব নোৱাৰি পলাই যোৱা আৰু শৰাণাগত হৈ ৰক্ষা পৰা আহোম ৰজাক নো কি গণিতা কৰিম!

অজিত।—সেইটো আপুনি ভুল শুনিছিল আৰু ভুল বুজিছিল। মিৰজুম্লাৰ আক্ৰমণৰ কথা মই ভালকৈ জানোঁ। তেতিয়াৰ লাচিত বৰুৱাৰ বিক্ৰম সহিব নোৱাৰি তেওঁ হুঁহকি পৰাটো হে সঁচা; ৰণাভুৱা জয়ধ্বজসিংহ আহোম ৰজাই আত্মৰক্ষাৰ্থে পলাই পৰ্ব্বতলৈ যোৱাৰ লগত ইয়াৰ সম্বন্ধ নাই। এতিয়া সেই লাচিতেই অসমীয়া সৈন্যবলৰ ঘাই সেনাপতি। বাৰু, সেইবোৰ যি হওক, দেখিলে হে লেখিম কোন্ কিমানৰ বীৰ। আহক এতিয়া। (দুইৰো প্ৰস্থান)

(শত্রুপক্ষক ৰণত হৰুৱাই লাচিত, পানীফুকন গন্ধৰ্ব্বৰ প্ৰৱেশ)

লাচিত।—শত্রু হলেও শলাগিবলগীয়া। ৰামসিংহ এজন বিচক্ষণীয়া বীৰ। তেওঁৰ ৰণ-পাণ্ডিত্য নিশ্চয় প্ৰশংসনীয়। কিন্তু, সেই পাণ্ডিত্যৰ পৰিচয়োপযোগী তেওঁৰ ৰুচি হে মাৰ্জ্জিত নহয়, ই হে দুখৰ বিষয়। যি ৰামসিংহই আহোম স্বৰ্গদেৱৰ আজ্ঞাধীন সেনাপতি এজনকে আজিলৈকে পৰাভূত কৰিব পৰা নাই, সেই ৰামসিংহই এদিন সেই স্বৰ্গদেৱক হতীয়াহতি যুদ্ধলৈ আহ্বান কৰিছিল। সেই কথা স্বৰ্গদেৱৰ

অন্তৰত বৰকৈ লাগিছিল,—লাচিতৰ অন্তৰত প্ৰতিশোধৰ উত্তেজনা জ্বলাইছিল। আজি মোগল ৰণ-বল আমাৰ হাতত বিষমকৈ ক্ষয় হোৱাত ৰামসিংহ হুঁহকি পৰিবলৈ বাধ্য হৈছে, তেওঁৰ দৰ্প খৰ্ব্ব হৈছে। ৰামসিংহৰ দৰ্পচূৰ্ণৰ সূত্ৰপাতৰ সু-সংবাদ শুনি স্বৰ্গদেৱেও বিমল আনন্দ অনুভৱ কৰিব। ৰামসিংহৰ লগত আজি সন্মুখ-সংগ্ৰাম কৰি মোৰ ৰণলিপ্সা দুগুণে চৰিছে।

গন্ধৰ্ব্ব।—আমাৰ পক্ষে ই বিশেষ গৌৰৱৰ বিষয়। মোগল জঁয় পৰিছে।

পানী।—ৰণত অসংখ্য শত্ৰু পৰিছে। মোৰ কিন্তু তালৈ বিশেষ লক্ষ্য নাছিল; মোৰ লক্ষ্য আছিল মোগল সৈন্য সমূলঞ্চে নিপাত কৰিবলৈ। পলৰীয়া সৈন্য-বিলাক আগচি আগচি কাটি, মই মোৰ তৰোৱাল ধৰাৰ সাৰ্থকতালৈ চাইছিলোঁ। হওক, আজি তেও মোৰ ৰণলিপ্সা অলপ তৃপ্ত হ'ল, আজি শত্ৰুৰ ৰণভূমি প্লাবিত কৰি এফেৰি হেঁপাহ পলুৱালোঁ।

লাচিত।—বলাঁ, ইয়াত পলম কৰাৰ সকাম নাই। বলাঁহক, অধিকৃত কোঁঠ দখল কৰি আজিৰ বাৰ্ত্তা তুৰন্তে স্বৰ্গদেৱলৈ পঠিয়াওঁগে। এই বাৰ্ত্তাই সদৌ অসমত আজি উলাহ আৰু উৎসাহৰ ঢৌ তুলিব।

(সকলোটিৰ প্ৰস্থান)

(ৰামসিংহ, নচৰৎখাঁ, ৰঘুনাথ আৰু অজিতৰ প্ৰৱেশ)

ৰামসিংহ।—ধন্য বীৰ লাচিত বৰফুকন! ধন্য তোমাৰ ৰণ-কৌশল! দিল্লীশ্বৰৰ আদেশত ইতিপূৰ্ব্বে বহুবাৰ বহুতো বিচক্ষণীয়া বীৰৰ ৰণ-কৌশল ভেদিবলগীয়া হৈছিল; কিন্তু লাচিতৰ নিচিনা দুৰ্ভেদ্য ৰণ-কৌশল কেতিয়াও মই আগত পোৱা নাছিলোঁ! যি হওক, এইবাৰ মোৰ যুদ্ধযাত্ৰা সাৰ্থক হ'ল। নহলে, লাচিত হেন বীৰৰ লগত লৰি মোৰ ৰণলিপ্সা তৃপ্ত কৰিবলৈ এই জীৱনত এনে সুবিধা নঘটিলহেঁতেন। যিদিনা লাচিতক নিপাতি খোদ্ চক্ৰধ্বজসিংহৰে সৈতে লৰিবলৈ পাম, সেই দিনা হে মোৰ ৰণলিপ্সা শাম কাটিব,—দেখোঁ কাহানিকৈ সেই দিন আহে।

অজিত।—(স্বগতঃ) ধন্য তুমি সেই লাচিত বৰুৱা! ধন্য তোমাৰ ৰাজভক্তি! ধন্য তোমাৰ স্বদেশ-প্ৰেম!

নচৰৎখাঁ।—এই ৰণত আমাৰ সৈন্য-বল বিস্তৰ ক্ষয় হ'ল!—কুৰি হাজাৰৰ ওপৰ হ'ব।

ৰঘুনাথ।—এই একেখন ৰণতে ইয়াৰ আগৰ দুবাৰো হিচাব ধৰিলে আমাৰ সৈন্যক্ষয় আৰু অনেক বেছি হ'ব!

ৰামসিংহ।—তাত আৰু ভুল নাই; যি হওক, এই বাৰ্ত্তা পাটচাহলৈ দি তুৰন্তে সৈন্যবলৰ যোগান খুজি পঠিয়াব লাগে। সম্প্ৰতি আমি ইয়াৰপৰা আঁতৰি গৈ শৰাইঘাটৰ ওচৰত নতুনকৈ কোঁঠ পাতিবলৈ আয়োজন কৰোঁগৈ, আহাঁহক।

(সকলোটিৰে প্ৰস্থান)

অষ্টম গৰ্ভাঙ্ক

গড়গাওঁ,— ৰজাৰ ভিতৰ-চ'ৰা

(নৰিয়া-শয্যাত চক্ৰধ্বজ, বৰগোহাঞি, চুন্যত্‌ফা, বৰবৰুৱা)

চক্ৰ।—(চাটিফুটি কৰি) ডাঙৰীয়া!

বৰগোঃ।—(আতুৰ হৈ) স্বৰ্গদেৱ!

চক্ৰ।—সি দুজনা ডাঙৰীয়া নাই! বৰফুকনো নাই! মোৰ শেষ-কথা সিবিলাকক শুনাবলৈ নাপালোঁ!

বৰগোঃ।—নাই স্বৰ্গদেৱ, সিবিলাক ৰণক্ষেত্ৰত আছে।

চক্ৰ।—(হুমুনিয়াহ কাঢ়ি) জানিছোঁ। ময়ো ৰণৰ কথাকে হে ভাবিছোঁ, ৰণৰ কথাকেহে ক'ব খুজিছোঁ। কিন্তু, মোৰ শৰীৰৰ অৱস্থা ক্ৰমাৎ বিষম বোধ কৰি আহিছোঁ। ভাই-গোহাঞি চুন্যত্‌ফা ক'ত?

চুন্যত্।—আছোঁ।

চক্ৰ।—কাষলৈ আহাঁ।

চুন্যত্। (কাষ চাপি) কওক।

চক্ৰ।—মোৰ নৰিয়া ক্ৰমাৎ সাংঘাতিক হৈ উঠিছে, গতিক বিষম। মোৰ অন্তিম কাল ওচৰ চাপিলহি। তোমাক মোৰ শেষ-কথা কৈ যাবৰ সময় পাইছেহি।

চুম্মত্‌।—(চকু-লো টুকি) কিয় কয় তেনে কথা! বেজবৰুৱাই সোনকালে আৰোগ্য হ'ব বুলি কৈ, নতুন ঔষধ আনিবলৈ গৈছে।

চক্র।—নহয়, ক'বই লাগিব মোৰ শেষ-কথা। ইচ্ছাময়ৰ ইচ্ছাৰ আগত তোমাৰ মোৰ ইচ্ছাই ঠাৱৰিব নোৱাৰে। নহলে, মোৰ ক'বলগীয়া কথা কোৱা নহ'বগৈও পাৰে।

চুম্মত্‌।—(চকুলো টুকি) বাৰু, কওক। শুনিছোঁ।

চক্র।—শুনি ভালকৈ মনত ৰাখিবা। আৰু, তাক কাৰ্য্যত লগাবলৈ একেৰিও ত্রুটী নকৰিবা।

চুম্মত্‌।—(তলমূৰকৈ) নকৰোঁ ত্রুটী।

চক্র।—বাৰু, তেন্তে শুনা। ডাঙৰীয়ায়ো শুনিবা! বৰ-বৰুৱায়ো মন কৰিবা।

বঃ গোঃ আৰু বঃ বঃ।—শুনিছোঁ স্বৰ্গদেৱ, কওক।

চক্র।—মোৰ জীৱনৰ মহৎ উদ্দেশ্য কি আছিল, তোমালোকে অৱশ্যে জানা। জানি, সেই উদ্দেশ্য সিদ্ধিৰ অৰ্থে যত্নও কৰিছাইক।

বৰবৰুৱা।—জানো স্বৰ্গদেৱ, বেচকৈ জানো।

চক্র।—মই তথাপি কওঁ, শুনাইক। মোৰ ভাই, তোমালোকৰ ভাবী ৰজায়ো শুনিব লাগে। শুনি, সেই উদ্দেশ্য সিদ্ধি কৰিবলৈ প্ৰাণপণে যত্ন কৰিব লাগিব।

চুম্মত্‌।—(সুস্থিৰ হৈ) যত্নৰ একেৰিও ত্রুটী নহ'ব, কওক।

চক্র।—মই ৰাজপাটত উঠিবৰ দিন ধৰি মোৰ প্ৰাণৰ ধাউতি আছিল মুছলমানৰ হাতৰপৰা মোৰ ৰাজ্যৰ মহাতীৰ্থস্থান কামাখ্যাপীঠ কেনেকৈ পুনৰুদ্ধাৰ কৰোঁ; আৰু, মোৰ প্ৰাণৰ প্ৰধান লক্ষ্য আছিল, মোৰ কামপীঠৰ প্ৰজাবৃন্দক মোগলৰ গৰাহৰপৰা কাহানিকৈ উদ্ধাৰি লওঁ। এয়ে চলিত ৰণৰ মুখ্য উদ্দেশ্য, মোৰ জীৱনৰ প্ৰধান লক্ষ্য।

বৰগোহাঞি ডাঃ।—হৈছে, স্বৰ্গদেৱ! আমাৰ বুজিবলৈ আৰু বাকী নাই। বোধ কৰোঁ, যুৱৰাজেও বুজিবলৈ বাকী বৰ নাপায়।

চক্র।—আৰু, মোগলৰাজক চই-পেচ্‌কচ্‌ শোধোৱাৰ নিয়ম ৰহিত কৰি, মোৰ জুৰুলা প্ৰজাৰ অৱস্থা টনকিয়াল কৰাটো বৰ্ত্তমান যুদ্ধৰ অন্যতম উদ্দেশ্য। এই কেইবিধ প্ৰধান লক্ষ্য ধৰিয়েই মোগলৰ লগত চলিত তুমুল ৰণ পাতি লোৱা হৈছে। কিন্তু, দুখৰ বিষয়, তাৰ সামৰণি দেখিবলৈ নাপাম হ'বলা!

বৰবৰুৱা।—নক'ব তেনে কথা, স্বৰ্গদেৱ! ইচ্ছাময়ৰ ইচ্ছাৰ তত্ত্ব পায় কোনে!

চক্র।—বাৰু, তথাপি কৈ থলোঁ; মনত ৰাখিবাইক, মোৰ বিহনে যেন মোৰ মহৎ উদ্দেশ্য বিফল নহয়।

চুম্মত্‌।—(স্থিৰ-গম্ভীৰ স্বৰেৰে) নিশ্চয় বিফল নহ'ব।

চক্র।—(হৃষ্ট চিত্তেৰে) ধন্য তুমি! ধন্য মই!—ধন্য মোৰ ডাঙৰীয়া-বিষয়াসকল!—এয়ে মোৰ মৰণ-সুখ। এই সুখ লাভত শঙ্কা নাই; তোমাসৱ উপস্থিত কেইজনৰ আশ্বাসত মোৰ সম্পূৰ্ণ বিশ্বাস হৈছে। ৰণক্ষেত্ৰত থকা ডাঙৰীয়া-বিষয়াসকলৰ ওপৰতো মোৰ অটল বিশ্বাস। বিশেষকৈ, বৰফুকন লাচিতৰ বীৰত্বত মোৰ সুদৃঢ় ভাৰসা। লাচিত এজন অসামান্য বীৰ। মহাবীৰ লাচিতৰ হাতত মোৰ উদ্দেশ্য আৰু গৌৰৱ ৰক্ষা পৰিব। ঈশ্বৰ আমাৰ সহায় হ'ব!

৩য় অঙ্কপাত

জিৰণিৰ পটক্ষেপণ

চতুৰ্থ অঙ্ক

প্ৰথম গৰ্ভাঙ্ক

গড়গাওঁ,—ৰজাৰ বৰচ'ৰা

(উদয়াদিত্য, বৰগোহাঞি, বৰবৰুৱা, খাৰঘৰীয়া ফুকন)

উদয়।—মোগলৰ লগত আমাৰ যি মহাৰণ এতিয়া চলিব লাগিছে, তাৰ মূলত আমাৰ পূৰ্ব্ববৰ্ত্তী চলা-জনা স্বৰ্গদেৱ আছিল; দুখৰ বিষয়, সেই ৰণৰ সামৰণি দেখিবলৈ নৌ পাওঁতেই ত'ত নিজৰ জীৱন-লীলা সামৰি স্বৰ্গযাত্ৰা কৰিবলগীয়া হ'ল! পূৰ্ব্বাপৰ প্ৰচলিত ৰীতি অনুসৰি, আমি আহোম ৰাজপাটত

উঠি অসম ৰাজ্য শাসন আৰু অসমীয়া প্ৰজা পালন কৰিব লগাত পৰিছোঁ ; আৰু আমি সেই গুৰুতৰ কাৰ্য্যৰ ভাৰ গ্ৰহণ কৰিয়েই ইতিপূৰ্ব্বৰপৰা চলি থকা মহাৰণ চলাব লগাত পৰিছোঁ। এই ৰণৰ সামৰণি চলা-জনা ৰজাদেৱে কি দৰে মাৰিলেহেঁতেন, সেইটো অৱশ্যে ক'ব নোৱাৰি, তথাপি এই ৰণত সম্পূৰ্ণ জয় লাভেই যে তেৰাৰ লক্ষ্য আছিল তাত সন্দেহ নাই। এতেকে, আমিও সেই লক্ষ্যকে স্থিৰ কৰি ধৰা হে যুগুত।

বৰগোহাঞি ডাঃ।—ইয়াত আৰু দ্বিধামত কি হ'ব পাৰে ?

উদয়।—কিন্তু, বৰফুকনে বাৰ্ত্তা দিছে যে, মোগলৰ ঘাই সেনাপতি ৰামসিংহই সন্ধিৰ প্ৰস্তাব তুলিছে ; আমাৰপৰা তেওঁ সেই বিষয়ে আদেশ আৰু উপদেশ পাবলৈ বাট চাই আছে।

বৰবৰুৱা।—আমাৰ জিতত প্ৰস্তাব ৰাখি সন্ধি কৰিব পাৰিলে, বোধ কৰোঁ বেয়া নহয় ; তেনেহলে দেশত সোনকালে শান্তি স্থাপিত হব।

খাৰঘৰীয়া ফুকন।—মোৰ বোধেৰে হলে, শত্ৰুপক্ষ দুৰ্ব্বল হৈ পৰিব পায়, কিয়নো যোৱা কেইখন ৰণত বিপক্ষৰ সৈন্য আৰু খাৰ-গুলী আদি ৰণবল বিস্তৰ ক্ষয় হৈছে। সেই কাৰণে হে, সম্ভৱতঃ, সন্ধিৰ প্ৰস্তাব উঠিছে।

বৰগোহাঞি।—তাত সন্দেহ নাই। কিয়নো, সন্ধিৰ প্ৰস্তাৱ সিপক্ষৰপৰা আগধৰি উঠিছে যেতিয়া, সিপক্ষ নিশ্চয় টানত পৰিছে।

উদয়।—এনে অৱস্থাত সন্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰা বাঞ্ছনীয় নহয়। এতেকে, বৰফুকনলৈ তুৰন্তে সংবাদ যাব লাগে যে, সম্প্ৰতে ৰণ চলি থাওক, আমি সন্ধিৰ প্ৰস্তাব বিবেচনাৰ ভিতৰত লৈছোঁ।

খাঃ ফুকন।—অতি উত্তম সিদ্ধান্ত।

উদয়।—কিন্তু, বৰফুকনে ইয়াকো কৈছে যে, শত্ৰুপক্ষৰ নতুন ৰণবলৰ যোগান অলপতে আহি পোৱাৰ সম্ভাৱনা দেখা গৈছে। এতেকে, আমাৰ বোধেৰে আমাৰো নতুন ৰণবলৰ যোগান যোৱা বিধেয়। আগৰ দিহা মতে বৰগোহাঞি ডাঙৰীয়া অনতি-পলমে সসৈন্যে গুৱাহাটীলৈ যাত্ৰা কৰিব লাগে। ইফালে খাৰ-গুলী, অস্ত্ৰ-শস্ত্ৰ আদি আগতকৈও বহুল আয়োজনেৰে প্ৰস্তুত হৈ থাওক। বৰবৰুৱাৰ গাত নগৰ ৰক্ষাৰ আৰু খাৰঘৰীয়া ফুকনৰ গাত খাৰ-গুলী যোগানৰ ভাৰ থাকিল। যোৱাঁহঁক, নিজ নিজ কৰ্ত্তব্যত ধৰাঁগৈ।

(সকলোৰে প্ৰস্থান)

দ্বিতীয় গৰ্ভাঙ্ক

(লাচিত, বুঢ়াগোহাঞি ডাঙৰীয়া, পানীফুকন, ৰাজখোৱা, গন্ধৰ্ব্বনাৰায়ণ, চন্দ্ৰনাৰায়ণ, মাধৱচৰণ)

লাচিত।—বাঁহবাৰী, কাঁজলীমুখ, পাণ্ডু, মনাহামুখ, আগীয়াঠুঁটি, চিতামাৰি, দৰং—এই সকলোপিনে ঘাটি মোগল সেনাই এতিয়া মৰোঁজীওঁকৈ গুৱাহাটী আক্ৰমণ কৰিবৰ অভিপ্ৰায়ে আগীয়াঠুঁটিৰ উত্তৰ-পছিমত থুপ খাইছেহি। ইতিমধ্যত দিল্লীৰপৰা মোগলৰ বহুসংখ্যক সৈন্য চৰিপথাঁ নামেৰে সেনা-পতিৰ নেতৃত্বত আহি ৰামসিংহৰ সৈন্যবলৰ লগত যোগ হৈছে। গতিকে, শত্ৰুপক্ষ এই কোবত সৈন্যবলেৰে আকৌ আগৰ দৰে টনকিয়াল হৈ উঠিছে, মই বুজিব পাৰিছোঁ, সিবিলাকৰ আয়োজন এইবাৰ বিশেষ। এতেকে, আমিও সেই অনুপাতে সাজু হোৱা উচিত।

বুঢ়াগোহাঞি।—নিতান্ত উচিত।

লাচিত।—ভাল, (দিহাকৰণ-কাকত পঢ়ি) এতিয়া আমাৰ ৰণবল ঘাইকৈ চাৰি ভাগে ভগাই কাৰ্য্য-ক্ষেত্ৰত আমি অটলভাৱে নামিবগৈ লাগে। যেনে, প্ৰথম ভাগত, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে,—অমৰাজুৰিৰ-পৰা পাণ্ডুলৈকে আপুনি স্বয়ং ; খহোৱা বুৰুজৰপৰা কামাখ্যাৰ পছিম খট্খটীলৈকে দৈয়ঙ্গীয়া ৰাজ-খোৱা ; দুৱাৰগৰিলাত লাটুম বৰুৱা ; পাৰঘোপাৰ-পৰা ধেনুখিৰোৱালৈকে বাৰুকিয়াল বৰগোহাঞি ;

গোটা আলিৰপৰা অম্বৰৰ আলিৰ মূৰলৈকে নেওগ হাজৰিকা ; অম্বৰৰ আলিত কমলাবৰীয়া গোহাঞি; অম্বৰৰ আলিৰ দক্ষিণ পৰ্ব্বতত মৰঙ্গিখোৱা বৰচেটিয়া ; উষাহৰণ পৰ্ব্বতত জাতিচন্দন গোহাঞি ; ওভোতাশিমলুৰ বাটত চক্ৰপাণি ৰাজখোৱা। এই অনুক্ৰমে সসৈন্যে কৰ্ম্মচাৰী নিয়োজিত হৈ, প্ৰতি বাৰ বেওঁৱে একোটা বৰতোপ পতা হ'ব লাগে।

বৰগোহাঞি।—ভাল, এই দিহা মতে নিজে চলিবলৈ আৰু আনকো চলাবলৈ প্ৰাণপণে যত্ন কৰা হব।

লাচিত।—(দিহাকৰণ-আঁচনি পঢ়ি) দ্বিতীয় ভাগত, ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে, বুঢ়াগোহাঞি ডাঙৰীয়াই এই অনুক্ৰমে দিহা লগাব—যেনে, জুৰিয়াৰপৰা শৰাই-ঘাটলৈকে সেনগোহাঞি ৰাজখোৱা। শৰাইঘাটত মাজিউ অভয়পুৰীয়া ৰাজখোৱা ; কেকুৰিৰপৰা লঠিয়ালৈকে সৰু অভয়পুৰীয়া ৰাজখোৱা ; লঠিয়া পৰ্ব্বতত ডাঙৰীয়া স্বয়ং ; লঠিয়াৰপৰা চিলাপৰ্ব্বত-লৈকে মিৰি সন্দিকৈ ফুকন ; সেন্দুৰীঘোপাৰপৰা খাৰঘৰীয়া আলিলৈকে দিহিঙ্গীয়া ৰাজখোৱা, ৰংমহলত পেলন চাৰিঙ্গীয়া ফুকন, ৰংমহলৰপৰা কানাই-বৰশীবোৱা শিললৈকে ধলা গোহাঞি ৰাজ-খোৱা ; চাহবুৰুজত ৰূপ সন্দিকৈ ; কুকুৰাত বৰ-পাত্ৰগোহাঞি ডাঙৰীয়া। এই নিৰ্ব্বাচন মতে বিষয়া-বিভাগ হৈ ঠায়ে ঠায়ে কোঁঠ পাতিব আৰু প্ৰতি বাৰ বেওঁয়ে একোটা বৰতোপ বহুৱাব।

বুঢ়াগোহাঞি।—কোনো কথা নাই ; মোৰ জিম্মাত পৰা-থিনিত বৰসেনাপতিৰ দিহাকৰণ পৰিপাটিকৈ পালন কৰোৱা যাব।

লাচিত।—(পানীফুকনৰ প্ৰতি) তৃতীয় ভাগত, ব্ৰহ্মপুত্ৰৰ পানীৰ ভাগত,—উত্তৰ পাৰে দিহিঙ্গীয়া ৰাজখোৱা আৰু বুঢ়াগোহাঞি ফুকন ; দক্ষিণ পাৰে টঙ্গচু ৰাজখোৱা আৰু কলঞ্চু নেওগে ৰণতৰীৰ গতি-বিধিৰ ওপৰত লক্ষ্য ৰাখিব ; আৰু তোমাক এই বিভাগত অধ্যক্ষ পতা হ'ল।

পানীফুকন।—ডাঙৰীয়াৰ আজ্ঞা শিৰোধাৰ্য্য। এই দিহাকৰণ প্ৰাণপণে পালন কৰা হ'ব। দেহাত এই প্ৰাণ থাকেমানে মোগলে পানীয়েদি বাট নাপায়।

লাচিত।—চতুৰ্থ ভাগত, মই নিজে গন্ধৰ্ব্বনাৰায়ণৰে সৈতে ইটাখুলীৰ নামনিত ৰৈ, তাৰপৰা সকলোৰে কাৰ্য্যৰ ওপৰত দৃষ্টি ৰাখিম।

বুঢ়াগোহাঞি।—অতি উত্তম দিহাকৰণ হৈছে। এই দিহা নিয়াৰিকৈ পালন কৰিব পাৰিলেই যে আমাৰ জয়লাভ হ'ব তাত সন্দেহ নাই।

লাচিত।—এইবোৰৰ আটাইতকৈ আগেয়ে, এতিয়া ভাবিব লগীয়া কথা হৈছে যে, কাইলৈ পুৱাতে মোগলৰ অশ্বাৰোহী আৰু পদাতিক দুইবিধ সৈন্যেৰে দুজন সেনাপতিয়ে আগীয়াঠুটিৰপৰা বামে গুৱাহাটীলৈ এটা চোঁচা লব ; আৰু তাৰ ওপৰতে গুৱাহাটী যোৱা-থকাই ঘাইকৈ নিৰ্ভৰ কৰিছে। সেই কাৰণে, সেই আগন্তুক আক্ৰমণ আদ্‌বাটতে ওফৰাবৰ অৰ্থে মাজবাটতে আমাৰ এটা গড় বন্ধোৱাৰ অত্যন্ত আৱশ্যক হৈছে। সেই গড আৰু গড়খাৱৈ আজি ৰাতিৰ ভিতৰতে হৈ উঠিলেই নহয়। (মোমাই-দেৱাকৰ প্ৰতি) সেই কাৰ্য্যৰ ভাৰ আমাৰ মোমাই-দেউৰ গাতে দিয়া হ'ল। কিন্তু, মনত ৰাখিব, ৰাতি নৌ পুৱাওঁতেই গড় ওলাব লাগে ; নহলে সৰ্ব্বনাশ!

মোমাই।—ভাল, ভাৰ পৰিছে যেতিয়া ল'বই লাগিব, কৰিবই লাগিব।

লাচিত।—মোগলৰ আগন্তুক আক্ৰমণ ওফৰাবৰ অৰ্থে এয়ে আমাৰ আগলি দিহাকৰণ। ইয়াৰ যেন ব্যতিক্ৰম নঘটে ; আৰু সেই দিহা প্ৰত্যেকে মনত ৰাখি যেন এতিয়া নিজ নিজ কৰ্ত্তব্যত মনোযোগ দিয়েগৈ।

পানীফুকন।—যাওঁ, নিজ কৰ্ত্তব্যলৈ সাজু হওঁগৈ। কিন্তু, বৰসেনাপতি ডাঙৰীয়াৰ দিহা মতে আজিৰ ৰাতিৰ ভিতৰতে আগীয়াঠুটি আৰু গুৱাহাটীৰ মাজত গড়টো হৈ উঠেগৈ যদি হে সকলো ভ্ৰষ্ট! তেনেহলে আমি বাকীবিলাকে নিজ নিজ কৰ্ত্তব্যত অগ্ৰসৰ হোৱাৰপৰা বিশেষ ফল নধৰিব ; কিয়নো, এই দিহাকৰণ গুৱাহাটী ৰক্ষাৰ নিমিত্তে হে।

লাচিত।—স্বৰূপ কৈছা, এই দিহাকৰণ গুৱাহাটী ৰক্ষাৰ নিমিত্তে হে। ৰাতিৰ ভিতৰত গড় হৈ নুঠিলে কিন্তু সকলো পণ্ড! গতিকে, এই কাৰ্য্যৰ ওপৰত মোৰ চোকা দৃষ্টি থাকিব; ৰাতিৰ ভিতৰত গড় উলিয়াবই লাগিব। এতিয়া আৰু পলম কৰাৰ সকাম নাই, সকলোৱে নিজৰ নিজৰ কৰ্ত্তব্যত ধৰিবগৈ হে লাগে।

সকলোৱে।—জয় স্বৰ্গদেৱৰ জয়! জয় লাচিত বৰফুকনৰ জয়!

(সকলোৱে দিহাদিহি প্ৰস্থান)

তৃতীয় গৰ্ভাঙ্ক

গুৱাহাটী,—কামাখ্যা দেৱালয়ৰ সমুখ

(মাধৱচৰণ আৰু নৰ্ত্তম গণক)

মাধৱ।—আজিচোন তল-ওপৰ! আটাইবিলাক উৰুলীকৃত! —এ ৰাম! যোৱা গৈছে, অহা আহিছে,—যেন লানি নিছিগা পৰুৱা হে! হৈছে কি?

নৰ্ত্তম।—হৈছে কি!—তাকো নাজানা নে?

মাধৱ।—এঃ, নাজানো দেখি তো সুধিছোঁ! জানিলে হ'বলা সোধে? তুমি তো ভোঁ-ভোঁ পণ্ডিত দেখিছোঁ! বাৰু, কোৰাঁচোঁ কি হৈছে? কিহৰ উৎসৱ এইখন?

নৰ্ত্তম —তাকে তো কৈছোঁ, বোলোঁ, আজি ৺কামাখ্যা মাইৰ পীঠত ম'হ বলি পৰিছে বুলি নাজানা হ'বলা?

মাধৱ।—উঃ, সেই একেটা কথাকে নেৰে! জানিলে নো সুধিম কিয়, ইয়াৰো বোধ নাই নে?—তুমি পণ্ডিত নে মূৰ্খ? দেখাত হলে ভোঁ-ভোঁ,—ডিঙ্গিত লগুণ, কপালত ফোঁট, কাষলতি তলত পুথি, হাতত পাঁজি, —গোটেই বিচক্ষণ পণ্ডিতৰ লক্ষণ!

নৰ্ত্তম।—(খঙ্গত জ্বলি উঠি) পণ্ডিত নহয়, মূৰ্খ নে কি? ৰাজ-গণক কেতিয়াবা কোনোবা দেশত মূৰ্খ হ'ব পাৰে নে?

মাধৱ।—(স্বগতঃ) অ, বুজিলোঁ, এৰোঁ আমাৰ সেই ৰণৰ ক্ষণ গণা গণকৰে এজন। ভালেই হৈছে, সুবিধাকৈ পোৱা গৈছে। এই ছেগতে মোৰ গুপ্ত ফন্দটো এফেৰি খেও খুৱাই লবলৈ বেচ চল লাগিছে। (ফুটাই) বোলোঁ, খং নকৰিবাচোন, কথাটো হে কৈছোঁ। বামুণ-দৈৱজ্ঞৰ দৰে টিকনিৰ আগতে খং এওঁৰো! বাৰু, যাওক সেইবোৰ কথা, কোৰাচোঁ কাৰ বলি? কোনে দিছে?

নৰ্ত্তম।—কিয়? নাজানা?—আমাৰ ৰাইজৰ বলি। আমি সদৌ প্ৰজাবৃন্দে মিলি দিছোঁ।

মাধৱ।—কাৰ হৈ? কি উদ্দেশ্যে?

নৰ্ত্তম।—কিয়, আমাৰ ৰজাৰ হৈ? আমাৰ আহোমৰাজে কামপীঠৰ অসমীয়া প্ৰজাক মোগলৰ হাতৰপৰা উদ্ধাৰ কৰিবলৈ ৰণ দিছে। সেই মহাৰণত আমাৰ স্বৰ্গদেৱৰ জয় হ'ব লাগে, মোগল-ৰাজৰ হাতৰপৰা কামপীঠ উদ্ধাৰ হ'ব লাগে, সেই উদ্দেশ্যে বলি দিয়া হৈছে।

মাধৱ।—ভাল হৈছে। কিন্তু, পঠা-বলি পৰা হলে জানিবা আমাৰ উদৰৰাজো আলহী হ'ব পাৰিলেহেঁতেন। পিচে, এতিয়া ম'হ হে বলি নালাগে নৰবলিকে দিয়াইক, তাত আমাৰ হৰিষো নাই বিষাদো নাই।

নৰ্ত্তম।—ছিঃ! পায় নে তেনেকৈ ক'ব? বলি হ'বলা মানুহে খাবলৈ হে দিয়ে? কটা, কেনে আপদীয়া মানুহও এইটো!

মাধৱ।—কিয়, বলি মানুহে খোৱা তুমি দেখা নাই নে? ম'হ নহৈ পঠা হোৱা হলে, তোমাতে দেখা গ'ল-হেঁতেন, খালাহেঁতেন নে নাকৰ তলে গুজিলাঁহেঁতেন।

নৰ্ত্তম।—কিনো অবুজনও! বোলোঁ, আমি যেতিয়া খাওঁ তেতিয়া সি বলি নহয়,—তেতিয়া ভোগ,—প্ৰসাদ।

মাধৱ।—বাৰু, বাৰু, তোমাৰেই জয়। তেওতো সি এই পেট-পূজাৰ বস্তু? প্ৰসাদেই হওক, পঠাই হওক, বা পঞ্চমকাৰৰ এক মকাৰেই হওক, তাৰে তো আমিসৱৰ পেট-পূজা কৰা যায়? ইস্, ইস্, এৰি পেলাওঁ সেইবোৰ কথা দেও, জিভাৰ পানী ওলাই আহে!

নৰ্ত্তম।—উঃ, কটা কেনে লুভীয়া মানুহও এইটো!

মাধৱ।—সঁচা, লুভীয়া তো। ই মানুহৰ ধৰ্ম্ম। ময়ো মানুহ, সেই দেখি মানুহৰ ধৰ্ম্ম ৰক্ষা কৰিছোঁ। লোভ, পাপ আৰু মৃত্যু—এই তিনি লৈয়ে সংসাৰ। নাজানা নে, শাস্ত্ৰত কৈছে, "লোভে পাপ, পাপে মৃত্যু"; ইয়াত বাজে আৰু আছে কি? বাৰু, ভাবি চোৱাঁ, লোভত নপৰা কোন্ আছে?—মোৰ জানিবা মাংসলৈ মনত পৰি লোভ লাগিছে; তোমাৰ হয়তো ধনলৈ মনত পৰিলে লোভ লাগিব।—নহয় জানো?

নৰ্ত্তম।—এৰা, হওঁতে হয়। পিচে, আমাক ধনৰ লোভ লগাওঁতা আছে কোন্ দেও! নিচলা গণকক গণিতা কৰে কোনে!

মাধৱ।—ময়েচোন গণিতা কৰোঁ; ময়েচোন সেই লাভ দেখুৱাব পাৰোঁ।

নৰ্ত্তম।—(ৰংমুৱা হৈ) দেখুৱাঁচোঁ বাৰু, চাওঁ।

মাধৱ।—বাৰু, দেখুৱাওঁ; তাৰ আগেয়ে শুনঁা—তুমি বাৰু ৰণৰ ক্ষণ গণনা কৰা দলত আছাঁ নে নাই? এইটো কাৰ বাব?—দৈৱজ্ঞৰ নে গণকৰ?

নৰ্ত্তম।—ওঁ, আছোঁ; ময়ো গণোঁ। এইটো গণকৰ বাব।

মাধৱ।—পিচে, সেয়ে ধন। সেয়ে মোনা-ভৰা ধন দিব পাৰে।

নৰ্ত্তম।—কেনেকৈ, কেনেকৈ? কোৱাঁচোঁ, কোৱাঁ।

মাধৱ।—তুমি ৰণৰ ক্ষণটো সময়ত পলমাই ধৰিব নোৱাৰিবাঁ নে?

নৰ্ত্তম।—পাৰিম। কিয় নোৱাৰিম? কি বৰ টান কথাটো!

মাধৱ।—বাৰু তেন্তে। যাওঁ বলাঁ এতিয়া। সেই কাৰ্য্যেই তোমাক কোঁচ-ভৰাই ধন দিব। মই কলোঁ, মনত ৰাখিবাঁ। আহাঁ, আঁতৰি নিজানত বহোঁগৈ; এই বিষয়ে আৰু বহুত কথা কবলৈ আছে। (স্বগতঃ) হুঁ: এইবাৰ বহালোঁ। বুঢাৰ হাতত চেঙ্গেলী! মোৰ প্ৰভুৰ বন হে হয়!

(দুইৰো প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

গুৱাহাটী আৰু আগীয়াঠুঁটিৰ মাজৰবাট,—মোমাইকটা গড়

সময়,—শেহ-নিশা

(কাঁড়ী-পাইকবিলাকে উশাহশুদ্ধি নোহোৱাকৈ খাটিও গড় উলিয়াব নোৱাৰি লাৰেজান হৈ পৰি গৈছে; বৰফুকনৰ মোমাইদেৱাক চিন্তাযুত হৈ মূৰে-কপালে হাত দি বহি আছে।)

মোমাই।—এতিয়াও গড়ৰ কাম তিনিভাগৰ-এভাগ বাকী। মানুহ একেবাহে খাটি হাইৰাণ হ'ল; অৱশ হৈ পৰি গৈছে। এতিয়া গড় উলিয়াওঁ কেনেকৈ? কি কৰোঁ! কি উপায় হ'ব! এই মানুহৰে সৈতে আজি ৰাতি নৌ পুৱাওঁতে হে নালাগে, কাইলৈ দিনটো খাটিও গড় উলিয়াব পৰাটো টান দেখিছোঁ। পিচে, কি হ'ব এতিয়া? ভাগিন বৰফুকনে কি বুলিবহি এতিয়া! তেওঁ শেহ-ৰাতি গড় চাবলৈ আহিবৰ কথা আছে; আহিলে কি কম তেওঁক! (টলকা মাৰি ৰয়) অ, সোৱা, ওলালেহিয়েই!— (চক্‌খাই উঠে)

(লাচিত আৰু গন্ধৰ্ব্বৰ প্ৰৱেশ)

লাচিত।—কি, মোমাইদেউ, গড় ওলাল নে? মানুহবিলাক দেখোন শুই পৰিছে! তুমি বহি চাই আছাঁ!

মোমাই।—এ, কিনো কম বোপা-ভাণ্ডৰীয়া! উশাহশুদ্ধি নোহোৱাকৈ কাম কৰি কৰি মানুহ হাইৰাণ হ'ল; ক্ৰমে-ক্ৰমে অৱশ হৈ ঢলি ঢলি পৰিছে!

লাচিত।—পিচে? ৰাতি পুৱাবলৈ তো আৰু বেচি পলম নাই?

মোমাই।—এৰা, বেচি পলম নাই। সেই দেখি হে গুণি-ভাবি বিমোৰ হৈছোঁ।

লাচিত।—এতিয়াও গুণিবৰ পৰ আছে নে? ই গণনাৰ ফল নহয়, কাৰ্য্যৰ হে ফল। সেই ফলৰ ওপৰতে আজি মোৰ দেশৰ গৌৰৱ!

মোমাই।—বুজিছোঁ ময়ো। বুজি হে প্ৰাণটা কি লাগিছোঁ। শক্তিয়ে আটিছেমানে খাটিছোঁ; দেখোঁ কি হয়।

লাচিত।—দেখিবা কি? ৰাতিৰ ভিতৰতে গড় উলিয়াই দেখুৱাবই লাগিব, নহলে, ৰক্ষা নাই!

মোমাই।—দেখুৱাব পাৰিলে তো ভাগ্যৰ কথা। পিচে, মনৰ সমানে কামে বেগাব পাৰিলে হে হয়। কালি দুপৰৰপৰা ক্ষন্তেক বিৰতি নোলোৱাকৈ খাটিছোঁ। খাটি খাটি গড়ৰ তিনি ভাগ উলিয়াইছোঁ ইমান পৰে; এতিয়াও এভাগ বাকী। ৰাতি পুৱাবলৈ আছেগৈ মাথোন আৰু এপৰ। কি কৰোঁ, বিবুদ্ধি!

লাচিত।—কি! গড় ওলাবলৈ এতিয়াও তিনিভাগৰ এভাগ বাকী! (ততালিকে খাপৰপৰা তৰোৱাল উলিয়াই একেঘাপে মোমায়েকক দোছোৱা কৰে!!)

কাঁড়ীবিলাক।—(মূৰ দাঙ্গি চাই বিস্ময় মানি লৰালৰিকৈ উঠে)

গন্ধৰ্ব্ব।—ইস্! ইস্! ইস্! (তধা লাগি ৰয়)

লাচিত।—(ৰাঙ্গলী তৰোৱাল জোকাৰি উত্ৰাৱল হৈ) ইস্ বুলিছাঁ?—মোৰ দেশতকৈ মোৰ মোমাই ডাঙৰ হ'ব নোৱাৰে। এই ৰাতিৰ ভিতৰত গড নোলালে ইয়াত কাকো জীয়াই নথওঁ আজি!

গন্ধৰ্ব্ব।—উঠ্ উঠ্ কাঁড়ীইত! চা, চা, মোমায়েককে কাটিলে! তহঁত কোন্ কুটা! উঠ্ উঠ্ উঠ্ইক। কোৰ ল। পাচী ল। চাঙ্গী ল। (আটাইবিলাক উঠি আকৌ চতুৰ্গুণ উৎসাহেৰে গড়ৰ কামত ধৰেগৈ)

লাচিত।—গড়ৰ কাম বাকীছোৱাৰ ভাৰ গন্ধৰ্ব্বৰ ওপৰত পৰিল। ৰাতি নৌ পুৱাওঁতেই গড় ওলাব লাগিব। মই ঠিক সময়ত আকৌ ওলামহি। আকৌ যেন তৰোৱাল তেজেৰে ৰাঙলী হ'বলগীয়া নহয়।

গন্ধৰ্ব্ব।—ৰাতিৰ ভিতৰতে গড় নিশ্চয় উলিয়াম। চিন্তা নাই, আপুনি নিশ্চিন্তে অন্য চিন্তাত ধৰকগৈ।

লাচিত।—অন্য চিন্তালৈ আৰু সময় নাই। এই চিন্তাই ৰাতি সুপুৰায়মানে,—গড় নোলায়মানে। তুমি যোৱাঁ, কাম আগুৱাই নিয়াঁ। মই পিচৰপৰা পৰীক্ষা কৰি আহি থাকোঁ। (লাচিত উৰ্ভতি গড়ৰ গুৰিছোৱা চাবলৈ যায়; গন্ধৰ্ব্বই ধুমাধুমিকৈ কাম কৰায়) (লাচিতৰ প্ৰস্থান)

গন্ধৰ্ব্ব।—লাগ, ৰাইজইত, প্ৰাণটাকি লাগি যাইক। আমাৰ দেশ অসমে আজি প্ৰতি অসমীয়াৰপৰা কাম বিচাৰিছে। (ধুমাধুমিকৈ গড়ৰ কাম চলে)

লাচিত।—(পুৰ্ৱতীনিশা পুনঃ প্ৰৱেশ) কি গন্ধৰ্ব্ব! গড় ওলাল নে?

গন্ধৰ্ব্ব।—(হৰ্ষচিত্তেৰে) ওলাল, ডাঙৰীয়া!! এইমাত্ৰ উলিয়াই উঠিছোঁ।

লাচিত।—(গন্ধৰ্ব্বক সাবটি ধৰি) ধন্য তুমি! ধন্য তোমাৰ কৰ্ত্তব্যজ্ঞান! তুমি আজি মোৰ প্ৰাণৰ উদ্দেশ্য সিদ্ধি কৰিলাঁ। কি দিম তোমাক? যথাসময়ত ইয়াৰ বাবে যথাযোগ্য বঁটা পাবাঁ। নিশ্চিন্ত হলোঁ মই। (তৰোৱাল জোকাৰি) আহক মোগল; চাপি আহক। ইয়াতে যৱনক সমূলঞ্চে নিপাত কৰি মোৰ 'মোমাই-কটা গড়'ৰ তৰ্পণ কৰিম।

(সকলোৰে প্ৰস্থান)

পঞ্চম গৰ্ভাঙ্ক

শৰাইঘাটৰ ভাটী,—মোগল-কোঁঠ

(ৰামসিংহ, চৰিপ্খাঁ, পণ্ডিতৰায় আৰু অজিতচিং)

ৰামসিংহ।—(চৰিপ্খাঁৰ প্ৰতি) তুমি যাত্ৰা কৰিবৰ সময়ত পাটচাহৰ লগত অৱশ্যে সাক্ষাৎ হৈছিল?

চৰিপ্।—হৈছিল। কিন্তু পাটচাহ বৰ ব্যস্ত আছিল। অকল পাটচাহ কিয়, সেই কেদিন গোটেই দিল্লী চহৰ তল-ওপৰ হৈছিল।

পণ্ডিতৰায়।—কিয়? কিবা দুৰ্ঘটনা হৈছিল নে কি?

চৰিপ্।—দুৰ্ঘটনা নহয়, সু-ঘটনা হে। আনন্দত হে তল-ওপৰ হৈছিল। চাহজাদা মহম্মদ আজমৰ বিয়া হৈ গ'ল নহয়,—শুনা নাই?

অজিত।- ওঃ, নাই শুনা! কাৰে সৈতে বিয়া হ'ল?

চৰিপ্।- সেই আহোম ৰাজকুমাৰী ৰমণী গাভৰুৰে সৈতে।

অজিত।—ৰমণী গাভৰুৰে সৈতে বিয়া!—বেচ, হওক। (লুকুৱাই হাঁহে) ৰমণী চাগৈ এতিয়া যুৱৰাণী হ'ল; তেওঁৰ বৰ ভাগ্য!

ৰামসিংহ।—বাৰু, সেইবোৰ কথা এতিয়া এৰা; পাচত আৰু সৈন্য আহিবলগীয়া আছে নে নাই?

চৰিপ্।—ক'তা, মোক সেই বিষয়ে পাটচাহে একো কোৱা নাই; লাগিলেই বোধ কৰোঁ পঠিয়াবলৈ প্ৰস্তুত ৰাখিছে।

ৰামসিংহ।—আগীয়াঠুঁটিৰপৰা বামে তো গুৱাহাটীলৈ বাট লব পৰা নহলেই!—উঃ, লাচিতৰ কি অদ্ভুত কৌশল, একে ৰাতিৰ ভিতৰতে মাজ-বাটতে সেই হেন প্ৰকাণ্ড গড়টো তৈয়াৰ কৰাই উলিয়ালে!—এতিয়া আমি শৰাইঘাটেদি বাট মুলিয়ালে, গুৱাহাটী সোমাবলৈ অন্য ভাল উপায় মই দেখা নাই। কিন্তু, তালৈকো এতিয়া বাৰিষা হ'ল!

চৰিপ্ খাঁ।—হয়, মোৰ বিবেচনাৰেও সম্প্ৰতি শৰাইঘাটেদি সোমোৱাটো হয় এৰিব লাগে, নহয় স্থগিত ৰাখিব লাগে।

ৰামসিংহ।—সেই ভাবিয়েই তো পাণ্ডুৰ ফালৰ গড় ভাঙ্গি গুৱাহাটী সোমাবলৈ চেষ্টা কৰা গৈছিল। সেই অৰ্থে, গড়ৰ তলত গোপনে বাৰুদ পুতি, তাত জুই দি, গড়ৰ এছোৱা উৰাই দিয়া হৈছিল; কিন্তু আচৰিত মানিবলগীয়া কথা যে, যুঁজৰ দৰেই গড় বন্ধাতো পৈণত অসমীয়া সেনাবিলাকে ধোৱাঁতে লুকাই ভঙ্গা গড় তৎক্ষণাত আকৌ বান্ধি তুলিলে! এই সম্পৰ্কতো লাচিত বৰফুকনৰ চোৰাংচোৱা নিয়োগ কাৰ্য্য শলাগিবলগীয়া।

অজিত।—লাচিত বাস্তৱতে এজন অসাধাৰণ ৰণ-পণ্ডিত।

চৰিপ্।—সঁচা, তেওঁৰ কিছুমান অসাধাৰণ কাৰ্য্য দেখি স্তম্ভিত হ'ব লগা হৈছে। লাচিত এজন অসামান্য ৰণ-পণ্ডিত।

ৰামসিংহ।—সেইবোৰ যি হওক, এতিয়া মোৰ বিবেচনাত আমি আকৌ প্ৰথমে লঠিয়াৰ ফালৰপৰা, তাৰ পাচত দৰঙ্গৰ সীমাইদি গুৱাহাটী সোমাবলৈ একোটা হেঁচা দি চোৱা উচিত। তাতো যদি কৃতকাৰ্য্য হ'ব পৰা নাযায়, তেন্তে সম্প্ৰতিকলৈ আমি দলিবাৰীত কোঁঠ মাৰি, গোপনে অসমীয়া ৰণবলৰ গতি-বিধি বুজি বাৰিষাটো পাৰ কৰা উচিত হ'ব।

চৰিপ্।—উত্তম ব্যৱস্থা। লঠিয়া আৰু দৰঙ্গৰ সীমাইদি আমি গুৱাহাটী সোমাব পাৰোঁ বা নোৱাৰোঁ, দলিবাৰীত কোঁঠ মাৰি বহিব পাৰিলে, খবালি নহয়মানে আমি তাতে সুবিধাকৈ ৰব পাৰিম।

ৰামসিংহ।—আচ্ছা, আপাততঃ সেয়ে স্থিৰ হ'ল।—অজিত!

অজিত।—হুজুৰ!

ৰামসিংহ।—যাবৰ হ'ল।

অজিত।—বহুত আচ্ছা, হুজুৰ! (সকলোৰে প্ৰস্থান)

ষষ্ঠ গৰ্ভাঙ্ক

গুৱাহাটী,—বৰফুকনৰ চ'ৰা

(বুঢ়াগোহাঞি ডাঙৰীয়া আৰু লাচিত)

বুঢ়াগোহাঞি।—আজি আপোনাক বিমৰ্ষ দেখিছোঁ,—কিয়?

লাচিত।—হয়, ডাঙৰীয়া, বাহিৰত বিমৰ্ষ হৈ দেখুৱাৰ কথা নহয়; কিন্তু ভিতৰি হে এটা কথাত মনত বৰ দুখ লাগিছে।

বুঢ়াগোহাঞি।—কিনো কথা?

লাচিত।—আপুনি জানেই, দলিবাৰী কোঁঠ অৱৰোধ কৰিবলৈ অবিধিকৈ পঠিয়াই আমাৰ দহ হাজাৰ সৈন্য অনৰ্থক হানি কৰিলোঁ! ই বৰ পৰিতাপৰ বিষয়। ই মোৰ দূৰদৃষ্টিত কেনা দেখুৱাইছে!

বুঢ়াগোহাঞি।—অবিধি নো কেনেকৈ হ'ল?

লাচিত।—অৰ্থাৎ, মোৰ কৌশলৰ বহিৰ্ভূত কাম হ'ল। বৰ্ত্তমান ৰণৰ গতি-গোত্ৰ চাই, নিজৰ গড়ৰ বাহিৰে খেদি গৈ আক্ৰমণ কৰাটো মোৰ ৰণ-বিধি নহয়। সেই দুৰ্ঘটনাৰ আগলৈকে মই তেনে ব্যৱস্থাত ধৰা নাছিলোঁ।

বুঢ়াগোহাঞি।—তেন্তে নো আপুনি সেনাদল কিয় বাহিৰকৈ পঠিয়াইছিল?

লাচিত।—ৰজাৰ আদেশ, নপঠিয়ালেই নহয়। ৰণ নিছিগা দেখি, নগৰত নতুন ৰজা উদয়াদিত্য স্বৰ্গদেৱে তত্

নাইকিয়া কৰিছে। মই আপত্তি দেখুৱাৰ স্থলতো স্বৰ্গদেৱে সেই আদেশ দোহাৰি পঠিয়ালে যে, দলিবাৰী কোঁঠৰপৰা মোগলক খেদি পঠিয়াবৰ নিমিত্তে তুৰন্তে যাত্ৰা কৰিব লাগে। অগত্যা সেই মতে দুজন সেনাপতিৰ তলে দহ হাজাৰ আমাৰ সৈন্য পঠিয়াইছিলোঁ; পিচে, শত্ৰুপক্ষে ছেগ বুজি আগে-পিচে বেৰি ধৰি সেই দহো হাজাৰ সৈন্য নিপাত কৰিলে! মোৰ যেন বাহুৰপৰা দহটোপা ৰক্ত হে ক্ষয় হল! আমাৰ মাজত একো-একোটা সেনা একো-একোটা হাতীৰ নিচিনা। তাৰ ঘাটি হয় বুলি হে আমি আগ-পিচ চাওঁ। ইয়াৰ আগেয়ে যি কেইটা ডাঙৰ যুঁজ হৈ গল, তাতো আমাৰ ইমান মানুহ নপৰিল। আজি সামান্য কথা এটাতে অতবোৰ সৈন্য ক্ষয় পালে! এই বিষয় মই স্বৰ্গদেৱলৈ জনাওঁ হে বুলিছোঁ।

বুঢ়াগোহাঞি।—এঃ, বাৰীৰ ভিতৰত পুখুৰী এটা সিঁচিলেও আঁঠ-দহোটা মানুহক শিঙ্গীয়ে ফুটে। এথন ৰণত আঁঠ-দহ হাজাৰ মানুহ পৰিল, তাকে আকৌ স্বৰ্গদেৱক জনাব লাগে কিয়?

লাচিত।—হওঁতে হয়; পিচে অবাবত আমাৰ অতখিনি সৈন্য হানি হল, তাত হে দুখ লাগিছে। কিন্তু, তুৰন্তে মই নিজে গন্ধৰ্ব্ব আৰু পানীফুকনক লগত লৈ অশ্বাৰোহী আৰু পদাতিক সৈন্যৰে সৈতে মোগলৰ কোঁঠ অৱৰোধ কৰিলোঁগৈ; এনেতে বৰগোহাঞি ডাঙৰীয়ায়ো নগৰৰপৰা সসৈন্য আহি যোগ দিলেহি। ফলত, মোগল সেনাপতিয়ে তাত ঠাৰৰিব নোৱাৰি কোঁঠ এৰি দি আকৌ শৰাইঘাট পালেহি।

বুঢ়াগোহাঞি।—বৰ ভাল হল। আমাৰেইচোন জয়।

(গন্ধৰ্ব্ব আৰু পানীফুকনৰ প্ৰৱেশ)

লাচিত।—অ, আহিছাঁইক? মই দিহা দি অহা মতে দলিবাৰী কোঁঠ বৰগোহাঞি ডাঙৰীয়াই -ভালকৈ চম্‌জি লৈছে নে?

পানী।-সেই কোঁঠ এতিয়া আমাৰ সম্পূৰ্ণ দখলত; তাত সম্প্ৰতি শত্ৰুৰ সঞ্চাৰ নাই।

গন্ধৰ্ব্ব।—ডাঙৰীয়া! ৰামসিংহ সেনাপতিৰ কটকী পণ্ডিতৰায় ৰৈ আছেহি।

লাচিত।—হয় নে? বাৰু, আহিবলৈ কোৱাঁগৈ।

গন্ধৰ্ব্ব।—ভাল, আনোঁগৈ। (প্ৰস্থান)

পানী।—কিবা আলোচনা উপলক্ষে আহিব পায়; মানুহজনক চিন্তাযুত যেন দেখি আহিলোঁ।

(পণ্ডিতৰায় আৰু অজিতৰে সৈতে পুনঃ গন্ধৰ্ব্বৰ প্ৰৱেশ)

লাচিত।—(পণ্ডিতৰায়ৰ প্ৰতি) সকাম কি, কটকী?

পণ্ডিত।—আমাৰ বৰসেনাপতি হজুৰে এইখন পত্ৰ দি পঠিয়াইছে।

লাচিত।—চাওঁ। (পত্ৰ লৈ পাঠ কৰে) অ, ৰামসিংহ সেনাপতিয়ে পাঁচ লাখ টকা দি গুৱাহাটী কিনিবলৈ বিচাৰিছে!

পণ্ডিত।—হয়, ডাঙৰীয়া! সেয়ে হলে মোগলৰ লগত আহোমৰ মিত্ৰতা দৃঢ়তৰ হয়। বিশেষ, জীয়াৰী-সম্বন্ধ ঘটিল যেতিয়া, ৰাজকীয় সম্বন্ধেৰে সি দৃঢ়তৰ হোৱাটো অবাঞ্ছনীয় নহয়। পত্ৰত লিখা পাঁচ লাখ টকা আপোনালোকে গুৱাহাটীত গড় বন্ধোৱা খৰচৰ বাবদ হে দিয়া হৈছে; লাগিলে তাৰো ওপৰঞ্চি দিয়া যাব।

বুঢ়াগোহাঞি।—কিনো জীয়াৰী-সম্বন্ধৰ কথা ক'লা? ভালকৈ নুবুজিলোঁ।

অজিত।—নুবুজিলে?—আপোনাসকলৰ জীয়াৰী ৰমণী গাভৰুৰ কথা কোৱা হৈছে। অলপতে হেনো দিল্লীৰ পাটচাহৰ পুত্ৰ চাহাজাদা আজমৰ লগত ৰমণী গাভৰুৰ বিয়া হৈ গৈছে; সেই কাৰণে মোগলৰাজৰে সৈতে আহোমৰাজৰ জীয়াৰী-সম্বন্ধ ঘটিছে বোলা হৈছে।

লাচিত।—হয় নে? (হঠাৎ অন্যমনস্ক) ৰমণী গাভৰুৰ বিয়া হৈ গৈছে নে? হওক, তথাপি গুৱাহাটী দি সেই সম্বন্ধ দৃঢ়তৰ কৰাৰ সকাম আমাৰ বিশেষ নাই।

বুঢ়াগোহাঞি।-(স্বগতঃ) গুৱাহাটী এৰি দিলে, মোগলে গোটেইখন অসম দেশকে লবগৈ।

পণ্ডিত।—ডাঙৰীয়া! কথাটো দকৈ ভাবি চাওক।

লাচিত।—ভাবি চাবলৈ নাই ; আমালৈ তেনেকুৱা মিট্‌মাট সুবিধাজনক নহব। এতিয়ালৈকে আমি টকাৰ অভাবত পৰা নাই এখোন ; আৰু বছৰচাৰেকৰ পাচত, তেনে অভাব আহে যদি, তেতিয়া বাৰু দেখা যাব। তোমাৰ সেনাপতি মহাশয়ক আমাৰ চেলাম দি এই উত্তৰ জনাবাঁগৈ। তেওঁক এইটোও জানিবলৈ দিবাগৈ যে, গুৱাহাটী বেচিবলৈ লাচিত গুৱাহাটীলৈ অহা নাই, গুৱাহাটী উদ্ধাৰ কৰিবলৈ হে আহিছে। লাচিতৰ দেহাৰপৰা প্ৰাণৰ বিয়োগ নঘটেমানে, আহোম ৰাজ্যৰপৰা গুৱাহাটীৰ বিয়োগ নঘটে! এই কথা তোমাৰ বৰসেনাপতি ৰজা ৰামসিংহক দঢ়াই দঢ়াই ক'বাঁগৈ।

পণ্ডিত।—ভাল, মই মুখেৰেই বিবৰি কমগৈ। বিদায় হে এতিয়া।

অজিত।—(সৈনিক চেলাম দি) হুজুৰ, প্ৰভো! সেৱা হে এতিয়া।

লাচিত।—বাৰু, যাব পাৰাইক।

(পণ্ডিতৰায় আৰু অজিতৰ প্ৰস্থান)

পানীফুঃ।—দান চাই সমিধান হৈছে। সাত লাখ টকা আগ কৰি যি গুৱাহাটীৰ নিমিত্তে যুদ্ধ পতা হ'ল, এতিয়া মোগলক পাঁচ লাখত সেই গুৱাহাটী বিক্ৰী কৰিব লাগে! ৰাজ্য বেচি খোৱা আকালত আমাৰ ৰজা এতিয়াও পৰা নাই ; সিমান সন্তাত পালে গুৱাহাটীৰ নিচিনা চহৰ আমাৰ ৰজাই থনচাৰেক কিনিব হে পাৰে। আমাৰ প্ৰাণ থাকেমানে গুৱাহাটী মোগলৰ হাতলৈ আৰু যাবলৈ নাপায়।

গন্ধৰ্ব্ব।—গাৰ বলত ঘাটি এতিয়া ধনৰ বল দেখায়! মোগলৰ গণ্ডপ্ দেখি ঘৃণা বোধ হৈছে। যি গুৱাহাটী প্ৰাণ দি কিনিবলৈ আহিছোঁ, সেই গুৱাহাটী ধন লৈ বেচিম! আমি জীয়াই থকাত গুৱাহাটী কোনে নিয়ে চাওঁ।

লাচিত।—মই ৰামসিংহৰ মতলব বুজিছোঁ ; ছলে-বলে-কলে-কৌশলে তেওঁ গুৱাহাটীক কেন্দ্ৰ কৰি লৈ, থিতাপি হৈ বহিবলৈ বিচাৰিছে! কি বিড়ম্বনা! ম'হৰ শিঙত কঁকিলাৰ ভঁাৰ! আমিও আকৌ পাৰ্য্যমানে মোগলক গুৱাহাটী সোমাবলৈ এৰি নিদিছোঁ,—প্ৰাণপণে লৰিম। লাচিতৰ প্ৰাণ থাকেমানে গুৱাহাটী আহোমৰ হাতৰপৰা যাব নোৱাৰে। ই ধ্ৰুব-নিশ্চয় কথা। এই গুৱাহাটীয়েই মোগলক আহোমৰ প্ৰতাপ দেখুৱাব।

পানীফুঃ।—নিশ্চয়, ই প্ৰাণপণ কৰিবলগীয়া লক্ষ্য। "মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন"; হয় গুৱাহাটী ৰক্ষা, নহয় এই শৰীৰৰ পতন।—এই দুটাৰ এটা হে হ'ব; ইয়াৰ অন্যথা নহয়। অসম ৰজাৰ অসীম ক্ষমতাৰ পৰিমাণ মোগলে এইবাৰ ভালকৈ পাব!

লাচিত।—সি যি হওক, ৰামসিংহ নিশ্চিন্ত হৈ বহি থকা নাই। এইবাৰ শৰাইঘাটেদি গুৱাহাটী সোমাবলৈ তেওঁ সমস্ত ৰণবল প্ৰয়োগ কৰি প্ৰাণপণে যুঁজিব। এতেকে, আমাৰো সতৰ্ক হোৱা উচিত। যোৱাঁ, পানীফুকনে নৌবাহিনী ৰণবলৰ ওপৰত তত্ত্বাৱধান কৰাঁগৈ; আৰু গন্ধৰ্ব্বই এদল অশ্বাৰোহী সেনা লগত লৈ ঘূৰি-পাকি চাই আহাগৈ, মোৰ দিহামতে আমাৰ কৰ্ম্মচাৰীবিলাক সক্ষম হৈ আছে নে নাই। প্ৰত্যেককে মোৰ নামে দোহাৰি কৈ আহিবাঁ, যেন দিহা নাপাহৰে। বলাঁইক, আমিও দিহাদিহি কৰ্ত্তব্যত ধৰোঁগৈ। জয় স্বৰ্গদেৱৰ জয়!

সকলোৱে সমস্বৰে।—জয়, লাচিত বৰফুকনৰ জয়!

(সকলোৰে দিহাদিহি প্ৰস্থান)

সপ্তম গৰ্ভাঙ্ক

শৰাইঘাটৰ নামনি,—মোগলৰ শিবিৰ

(ৰামসিংহ, চৰিপ্ খাঁ, ৰঘুনাথসিংহ, নচৰৎখাঁ, অজিত)

চৰিপ্।—অসমীয়াৰ আয়োজন কি প্ৰকাৰ হৈছে, তাক আগধৰি জানিব পাৰিলে ভাল আছিল।

ৰামসিংহ।—সেইটো জনা গৈছে। আমাৰ তুৰকচাৰাৰী চোৰাংচোৱা দলৰ বৰ্ণনা মতে অসমীয়াৰ আয়োজন এইবাৰ বিশেষ। ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ দুয়ো

পাৰে আৰু পানীৰ মাজেদিও আমাৰ গতিৰোধ কৰিব পৰাকৈ ঠায়ে ঠায়ে বহুতো কৰ্ম্মচাৰী সসৈন্যে নিয়োজন কৰা হৈছে। আৰু, আমাৰ যাত্ৰা ওফৰাব পৰাকৈ মাজে মাজে বৰতোপ পাতিছে। পানীফুকন পালি সেনাপতিয়ে গুৱাহাটীৰপৰা কিছু ভাটীত আহি আগ বাঢ়ি থাকিবলৈকো স্থিৰ হৈছে। লাচিত ফুকনৰ বিচক্ষণ দিহাকৰণ।

চৰিপ্।—আমিও তেন্তে শত্ৰুপক্ষৰ সেইবিলাক আয়োজন আৰু দিহা ব্যৰ্থ কৰিবলৈ চাব লাগে।

ৰঘুনাথ।—নিশ্চয়, তাকে নকৰিলে আমাৰ পক্ষে উজাই আগ বঢ়াটোৱেই সম্ভৱপৰ নহ'ব। লাচিত বৰফুকনৰ দিহা সামান্য বিধৰ নহয়।

নচৰৎ।—তেওঁ নিজে কিন্তু এইবাৰ নিজৰ দিহাৰ ওপৰত চকু ৰাখিব নোৱাৰিব। শুনিলোঁ, কালিৰপৰা বোলে তেওঁৰ তীৰকঁপে জ্বৰ উঠিছে।

অজিত।—কি! লাচিত ফুকনৰ জ্বৰ! তেনেহলে আজি আহোমৰ আগত বিধি-পথালি! এয়ে কিন্তু উদ্দেশ্য সাধিবৰো আচল ছেগ। দেখা যাওক, কোনে কি কৰিব পাৰে। লাচিতৰ কিন্তু দেহা দুৰ্ব্বল হলেও, বুদ্ধিৰ বিভ্ৰম নঘটে।

চৰিপ্।—ঠিক কৈছা, এই হে আচল ছেগ। শীঘ্ৰে যাত্ৰা কৰিবৰ দিহা কৰা যাওক।

ৰঘুনাথ।—মোৰ বোধেৰে আমি আটাইকেইওজনে একে সময়তে সসৈন্যে শত্ৰুক বেৰি ধৰিবগৈ লাগে।

নচৰৎ।—ঠিক কথা। লাচিতৰ অনুপস্থিতিত এই কাৰ্য্যলৈ সুবিধা হৈছে।

অজিত।—মোৰ বোধেৰে হলে, ঠিক হোৱা নাই। আটাই-কেইওজন একেবাৰে আগবাঢ়ি উজাবৰ প্ৰয়োজন কি? তেনে কৰিলে ইফালে শিবিৰ উদং হয়। লাগ বুলিলে পাচত যোগান দিব কোনে?

চৰিপ্।—হওঁতে হয়। পাচত যোগান দিবলৈকো থাকিব লাগে।

অজিত।—আৰু চাবলগীয়া যে, অকল পানীয়েদি হে উজাবলগীয়া হৈছে যেতিয়া, নিজৰ মানুহেৰেই বাট জুৰি গলে সময়ত নিজৰ গা ঘূৰাবলৈকে টান পৰিব। সেই কাৰণে, মোৰ বোধেৰে আটাই-কেইওজন আগ বাঢ়িব নালাগে; অন্ততঃ বৰ-সেনাপতি গুৰি-ধৰা হৈ শিবিৰত থকা হে যুগুত।

ৰামসিংহ।—অজিত মানুহটো ডেকা, কিন্তু তাৰ বুদ্ধিটো হলে বুঢ়া। তাৰ কথাখিনি বৰ সাৰুৱা, দলিয়াই পেলাবলগীয়া নহয়।

চৰিপ্।—মোৰ মনতো অজিতৰ প্ৰস্তাৱ সাৰুৱা যেন লাগিছে; সেইমতে কাম হোৱা হে উচিত বিবেচনা কৰোঁ।

ৰামসিংহ।—আচ্ছা, সেয়ে হ'ব; প্ৰথমেই চৰিপ্খাই অকলে নৌবাহিনী ৰণবলেৰে উজাই আগ বাঢ়িব; পাচত মই শিবিৰৰপৰা সময়মতে ৰণবলৰ যোগান দি থাকিম।

অজিত।—(স্বগতঃ) হওক, ছেগ ধৰা বেয়া নহ'ল। বৰসেনাপতি যোৱা হলে, এইবাৰেই অন্ত পেলালে-গৈহেঁতেন! অহঃ! লাচিত বৰফুকনৰ নৰিয়া! হায়, অসমৰ কি দুভাগ্য!! কি যে বিধি-বিড়ম্বনা!!!

চৰিপ্।—ভাল, তেনেহলে সেই মতেই প্ৰস্তুত হওঁগৈ। পলম কৰাৰ সকাম নাই।

ৰামসিংহ।—আচ্ছা, যোৱাঁ, সত্বৰ হোৱাঁগৈ। ৰঘুনাথ আৰু নচৰৎ! তোমালোকো এতিয়া যোৱাঁ, কিৰাতবৰ্ত্তিয়া আৰু বইৰামদেও ইবিলাকৰে লগ লাগি যথা সময়ত মোৰ আদেশ আৰু উপদেশ লবাহিঁক। ময়ো যাওঁ, অজিত! আহাঁ।

(সকলোৰে প্ৰস্থান)

অজিত।—বহুত আচ্ছা, হুজুৰ! (স্বগতঃ) অহঃ! অসমৰ মহাবীৰ বিচক্ষণীয়া ৰণপণ্ডিত বৰসেনাপতি লাচিত বৰফুকনৰ আসন্ন সাময়িক নৰিয়া! বিষম সমস্যা!! অদ্ভুত বিভ্ৰাট!!! (ৰামসিংহৰ পিচ-ধৰি প্ৰস্থান)

চতুৰ্থ অঙ্কপাত

জিবনি-পটক্ষেপণ

পঞ্চম অঙ্ক
প্ৰথম গৰ্ভাঙ্ক
গুৱাহাটী,—বৰফুকনৰ বাহৰ

(নৱিয়া-পাটীত লাচিত, পিজলা আৰু গন্ধৰ্ব্বনাৰায়ণ)

পিজলা।—(নৰীয়াৰ শিতানৰ কাষত বহি বিছি বিছি) দেউতা! এতিয়া কেনে পাইছে? গাৰ পোৰণি অলপ এৰিছে নে?

লাচিত।—(হুকাৰ ছাবি) হুঁ-উঁ, কেনে পাইছোঁ?—মোৰ ৰণ কেনে চলিছে? মোগল সেনা কোন্‌খিনি পাইছেহি? গন্ধৰ্ব্ব ক'ত?

গন্ধৰ্ব্ব।—আছোঁ। শত্ৰুপক্ষৰ নৌ-সেনাবাহিনীৰ ৰণতৰীবোৰ উজাই আহি আন্ধাৰু বালিৰপৰা এটা পাকৰ ভাটী পাইছেহি।

লাচিত।—কি! (উঠিবলৈ ধৰি, পৰি যায়) ইমানলৈকে উজালে! তাৰ ভাটীতে পানীফুকনে ভেটি নধৰিলে?

গন্ধৰ্ব্ব।—ধৰিছিল। শত্ৰুৰ গতিৰোধ কৰিব নোৱাৰি হুঁহকি পৰি পানীফুকন আন্ধাৰু বালিৰ পোনত ৰৈছেহি।

লাচিত।—সৰ্ব্বনাশ! পালেহিয়েই! যোৱাঁ, যোৱাঁ, এতিয়া কোন্‌খিনি পাইছেহি তুৰন্তে চাই আহাঁ।

গন্ধৰ্ব্ব।—ভাল, চাই আহোঁ। (গন্ধৰ্ব্বৰ প্ৰস্থান)

পিজলা।—দেউতা, আপুনি ৰণৰ কথা লৈ উত্ৰাৱল হোৱাৰ এতিয়া সময় নহয়, গা আকৌ আচন্দ্ৰাই কৰিব।

লাচিত।—গাৰ ফালে যি হ'ল লাগে আই, ৰণৰ কথা নাভাবি পাৰোঁ নে? ৰণৰ ভাবনা এই দেহাৰ ভাবনাতকৈ আগ।

(গন্ধৰ্ব্বৰ পুনঃ প্ৰৱেশ)

লাচিত।—(উদ্বিগ্ন হৈ) কি বাৰ্ত্তা? কোন্‌খিনি পাইছেহি?

গন্ধৰ্ব্ব।—শত্ৰুৰ ৰণতৰী কল্‌কল্‌কৈ উজাবই লাগিছে।

লাচিত।—(একে চিপে উঠি বহি) কি! এতিয়াও আমাৰ পক্ষে বৰতোপ মাৰি শত্ৰুৰ ৰণতৰী ওফৰাই দিয়া নাই কিয়? পানীফুকনে কৰিছে কি?

গন্ধৰ্ব্ব।—বৰতোপ ফেৰ কৰি পানীফুকন সষ্টম হৈ আছে, কিন্তু গণকে এতিয়াও ক্ষণ মিলা নাই বুলি ৰাখি থৈছে।

লাচিত।—(উত্ৰাৱল) কি! ক্ষণ নিমিলাৰ বাবেই শত্ৰুক গা পোৱাইছেহি! ক্ষণ মিলিবই লাগে। গণকক কোৱাঁগৈ।

গন্ধৰ্ব্ব।—যাওঁ, ক্ষণ মিলিবই লাগে বুলি কওঁগৈ।

(গন্ধৰ্ব্বৰ প্ৰস্থান)

পিজলা।—দেউতা, বহি থাকিলে আকৌ মূৰ ঘূৰাব; শুই পৰোক। (লাহেকৈ ধৰি শুৱাই দিয়ে)

লাচিত।—(চাটিফুটি) যায়! যায়! এতিয়াহে যায়! যত কৰিলোঁমানে সকলো মিছা হয় এতিয়া!

(গন্ধৰ্ব্বৰ পুনঃ প্ৰৱেশ)

লাচিত।—(উদ্বিগ্ন) মিলিল নে ক্ষণ?

গন্ধৰ্ব্ব।—নাই, গণকে নামানে আমাৰ কথা।

লাচিত।—তেন্তে কি উপায়! যায়! যায়! দেশ ৰসাতললৈ যায়! কোন্‌খিনি পাইছেহি? যোৱাঁ, যোৱাঁ, আকৌ যোৱাঁ—তুৰন্তে কোৱাঁহি।

গন্ধৰ্ব্ব।—চাই অহাৰ বাব নাপাই লাগি যাবলৈ আজ্ঞা পোৱা হলেই ভাল আছিল। বাৰু, যাওঁ, চাই আহোঁ। (গন্ধৰ্ব্বৰ প্ৰস্থান)

লাচিত।—হায়, ইবাৰ হে যায় গুৱাহাটী!

পিজলা।—দেউতা, বৰকৈ উতলা নহ'ব; বিকাৰ আকৌ বেছি হ'বলৈ ধৰিছে।

লাচিত।—(চাটিফুটি) কি কৰিম! কি উপায়!

পিজলা।—ভগৱন্তে কৰিব যি হয়, আপুনি স্থিৰ হওক!

(ৰাজখোৱাৰ প্ৰৱেশ)

ৰাজখোৱা।—ডাঙৰীয়া! শত্ৰু আহি আন্ধাৰু বালিৰ পোন্ পালেহি, এতিয়াও ক্ষণ মিলা নাই! কি কৰা যায় এতিয়া?

লাচিত।—সৰ্ব্বনাশ! (একেচিপে উঠি বহি) যোৱাঁ, যোৱাঁ, তুৰন্তে এখন নাৱ বান্ধিবলৈ দিয়াঁগৈ। মোক এই চালপীৰাই সৈতে দাঙ্গি নিবলৈ মানুহ লৈ আহাঁগৈ।

ৰাজখোৱা।—ভাল, ডাঙৰীয়া! (ৰাজখোৱাৰ প্ৰস্থান)

পিজলা।—(আতুৰ হৈ) এই মহাসঙ্কটত ৰক্ষা কৰাঁ প্ৰভো!

লাচিত।—(উচাতন) ক'তা, ক'তা, আহিল নে? নে, মোক নে।

পিজলা।—(চকু-লো টুকি) কলৈ নিব লাগে আপোনাক দেউতা ?

লাচিত।—ৰণলৈ। ৰণৰ কেন্দ্ৰলৈ। মোগলৰ মাজলৈ।

পিজলা।—এই নৰিয়া গাৰে ৰণত আপুনি কি কৰিবগৈ দেউতা ? নালাগে যাব। উত্ৰাৱল নহ'ব দেউতা! গন্ধৰ্ব্ব কোঁৱৰে এইবাৰ এটা সু-দিহা লগাবগৈ, আপুনি নিশ্চিন্ত হওক, দেউতা!

লাচিত।—ঔ, নকবি নকবি, আই নকবি। মই নগলে আজি এই ছেগতে মোগলে গুৱাহাটী লবহি।

পিজলা।—নৰিয়া গাৰে গৈ আপুনি নো কেনেকৈ ৰাখিব ? নালাগে যাব দেউতা!

লাচিত।—ৰাখিব নোৱাৰোঁ যদি, প্ৰাণকে দিমগৈ; ৰণতে নিজেই ধৰা দিমগৈ। কিন্তু, গুৱাহাটী এৰি দি, মই জীয়াই নাথাকোঁ; থকাৰপৰা গৌৰৱ নাই, গৰিহণা আছে। ক'তা, ক'তা, ইমান পৰেও নাহিল! মোক নিনিলেহি!—নিনিলেহি!

(মূছ্‌কঁছ্‌ যায়)

(মানুহ লৈ ৰাজখোৱা আৰু গন্ধৰ্ব্বৰ পুনঃ প্ৰৱেশ। চালপীৰাই সৈতে লাচিতক উলিয়াই নিয়ে, চকু-লো টুকি টুকি পিজলা পিচে পিচে যায়)

দ্বিতীয় গৰ্ভাঙ্ক

শৰাইঘাট,—তুমুল ৰণ

(পানীফুকন বৰতোপ আৰু হিলৈ মাৰিবলৈ সষ্টম হৈ আছে; নৰ্ত্তমে হাতত জ্যোতিষ পুথি লৈ ক্ষণ গণনা কৰিব লাগিছে)

পানীফুকন।—হাঁয়, মোগলৰ ৰণতৰী কল্‌কল্‌কৈ উজাবই লাগিছে; সোৱা, চৰিপ্‌খা আহি আন্ধাৰু বালিৰ পোন্‌ পালেহি! আৰু ৰব নোৱাৰি। নোৱাৰি ৰব। বৰতোপ ওফৰাব লাগিল। হিলৈ মাৰিবলৈ হুকুম দিম এতিয়া।—হৈছে নে বাপু ? ক্ষণ মিলিছে নে ?

নৰ্ত্তম।—নাই, নৌ মিলে; অলপ বাকী।

পানী।—(উত্ৰাৱল হৈ) এতিয়াও বাকী! আমাৰ কাৰ্য্যলৈ আৰু তেন্তে সময় বাকী নাথাকে। এটা মুহূৰ্ত্তৰ ফেৰত এতিয়া এখন ৰাজ্য যায়!

নৰ্ত্তম।—(থঙেৰে) ক্ষণ নিমিলিলে বলেৰে মিলাব পাৰি নে ?

পানী।—সৰ্ব্বনাশ! পালেহি, একেবাৰে গা পালেহি! ক্ষণ মিলাৰ আগেয়ে এতিয়া ধ্বংস মিলিব! নোৱাৰি ৰব আৰু!

(চালপীৰাই সৈতে নৰিয়া লাচিত বৰফুকনক প্ৰৱেশ কৰোৱা হয়)

লাচিত।—(ব্ৰহ্মপুত্ৰলৈ আঙুলিয়াই) লৈ যোৱাঁ, মোক একেবাৰে মাৰনাৱত তুলি দিয়াঁগৈ। গণকৰ ক্ষণ মিলাৰ অপেক্ষাত আমাৰ সেনা-সেনাপতিসকলে ইমানতো চাই আছে! অহঃ, নিয়াঁ মোক, নাৱে সৈতে ভটীয়াই দিয়াঁগৈ; মোক মোগল সেনাপতিয়ে ধৰি বন্দী কৰি লৈ যাওক; আৰু মোৰ সেনা আৰু সেনাপতিসকলে চাই থাওক! স্বৰ্গদেৱলৈ বাতৰি যাওক, নৰিয়া-পাটীত পাই বৰফুকনক শত্ৰুৱে ধৰি নিলে, আমি দখল কৰা গুৱাহাটী আকৌ মোগলৰ হাতত পৰিল! হাঁয়, চন্দ্ৰ-দিবাকৰ থাকেমানে এই অখ্যাতি থাকিল, থাওক! দিয়াঁ, দিয়াঁ, মোক ভটীয়াই দিয়াঁ।

(চালপীৰা নাৱত তুলি ভটীয়াই দিবলৈ নিয়া হ'ল)

অসমীয়া সেনা-সেনাপতি।—জয়, স্বৰ্গদেৱৰ জয়!

জয় বৰফুকন লাচিতৰ জয়!

(সকলোৰে বেগেৰে প্ৰৱেশ)

পানীফুকন—হাঁয়, হাঁয়! গ'ল, গ'ল! নিৰস্ত্ৰ বৰফুকনৰ নাও ভটীয়াই গ'ল! শত্ৰুৰ মুখত অযাচিতে পৰেগৈ এতিয়া! যোৱাঁ, যোৱাঁ, বিষয়াসকল, আগ বাঢ়াঁ। কি চাইছাঁ, বৰফুকনৰ নাও আৰ কৰি আগ হোৱাঁগৈইক। গণকৰ ক্ষণ নালাগে; এই মাৰিলোঁ, মাৰিলোঁ বৰতোপ, মাৰিলোঁ (আৱাজ)।—হিলৈ মাৰিবলৈ ধৰাইক (আৱাজ)।—মাৰি থাকাঁ, মাৰি থাকাঁ (জাউৰি-জাউৰিকৈ হিলৈৰ আৱাজ)।

অসমীয়া সেনা-সেনাপতিসকল।—

জয় স্বৰ্গদেৱৰ জয়!

জয় বৰফুকন লাচিতৰ জয়!

(সকলো বেগেৰে প্ৰৱেশ আৰু প্ৰস্থান)

পানীফুকন।—(নেপথ্যত আঙুলিয়াই) চোৱাঁ, চোৱাঁ, সৌৱা বৰফুকনৰ নাও আৰ কৰি ধৰি আমাৰ বিষয়া-সকলৰ নাও আগ বাঢ়িল! দুয়ো পাৰৰপৰা মেলি দিয়া নাও চাপি, সৌৱা এখন সাঁকো যেন হৈছে। নাৰে-নাৰে ভৰি দি ব্ৰহ্মপুত্ৰ ইপাৰ-সিপাৰ হ'ব পৰা হৈছে! অসমীয়া ৰণতৰী দেখি চৰিপখাঁ তধা লাগিছে! গণকৰ বাধা নেওচা যাওক, বৰতোপ উফৰিবলৈ দিয়াঁ। হিলৈ মাৰিবলৈ ধৰাঁ। শত্ৰুৰ নাও ওফৰাই নিয়ক। (হিলৈৰ আৱাজ)। নৰবাঁ, নৰবাঁ, মাৰাঁ, মাৰাঁ, জাউৰি-জাউৰিকৈ হিলৈ মাৰি থাকাঁ (হিলৈৰ আৱাজ)। যাওঁ, যাওঁ,ময়ো যাওঁ, আগচি ধৰোঁগৈ। (নেপথ্যত হিলৈৰ আৱাজ)

(পানীফুকনৰ বেগেৰে প্ৰস্থান; বুঢ়াগোহাঞি ডাঙৰীয়াৰ প্ৰৱেশ)

বুঢ়াগোহাঞি।—বুৰিল, বুৰিল! শত্ৰু নিগমে বুৰিল! চোৱাঁ, চোৱাঁ, বৰতোপৰ গুলী লাগি মোগলৰ নাওবোৰ সসৈন্যে তললৈ গৈছে! যাওক, যাওক, ৰসাতললৈ যাওক। বাকীবোৰ ভটীয়াই সৌৱা পলাবলৈ ধৰিছে। যাওঁ, যাওঁ, ময়ো খেদি যাওঁ। আজি মোগলক কচুকটা দি হেঁপাহ পলুৱাওঁগৈ, যাওঁ।

(বুঢ়াগোহাঞি ডাঙৰীয়াৰ বেগেৰে প্ৰস্থান; চন্দ্ৰনাৰায়ণৰ প্ৰৱেশ)

চন্দ্ৰনাৰায়ণ।—পৰিল, পৰিল! পৰিল সৌৱা, চৰিপখাঁ সেনাপতি পৰিল! নাৱে সৈতে পানীৰ তললৈ গ'ল! চোৱাঁ, চোৱাঁ, বাকী নাও-মানুহ আটাইবোৰ ছিটিকি পলাইছে! আমাৰ নাৱে খেদি নিছে!

(বেগেৰে প্ৰস্থান)

নেপথ্যত।—(ৰণ-কোলাহল) জয় স্বৰ্গদেৱৰ জয়! জয় বৰফুকন লাচিতৰ জয়!

(গন্ধৰ্ব্বনাৰায়ণৰ বেগেৰে প্ৰৱেশ)

গন্ধৰ্ব্ব।—ধন্য মহাবীৰ লাচিত বৰফুকন! ধন্য তোমাৰ ৰণ-কৌশল! ধন্য তোমাৰ স্বদেশ-প্ৰেম! ধন্য তোমাৰ ৰণপাণ্ডিত্য! নৰিয়াই তোমাৰ বাহুবল অৱশ কৰিছিল, কিন্তু প্ৰতিভা মলিন কৰিব পৰা নাছিল। বাহুবলতকৈও আজি তোমাৰ বুদ্ধিবলে জগতক তবধ লগালে! এক নিৰস্ত্ৰ লাচিতে আজি সহস্ৰ সশস্ত্ৰ সৈনিকৰ বল দিলে। মহাবীৰ লাচিতৰ অলৌকিক ৰণ-কৌশলে আজি অসমীয়া সেনানীৰ প্ৰাণত বৈদ্যুতিক বল প্ৰয়োগ কৰিলে! ধন্য তুমি! ধন্য তোমাৰ জন্মভূমি! ধন্য তোমাৰ জাতীয় প্ৰেম!

তৃতীয় গৰ্ভাঙ্ক

আন্ধাৰু বালি,—ৰণৰ পাচত

(মাধৱচৰণ আৰু নৰ্ত্তম)

নৰ্ত্তম।—দিয়াঁ এতিয়া, দিবলৈ বাকী থকাথিনি।

মাধৱ।—কিয় দিম? দিম কিয় হে?

নৰ্ত্তম।—কিয়! দিম বোলা দিয়াঁ আকৌ, কিয় কি?

মাধৱ।—দিম বুলিছিলোঁ হয়, কাম নকৰাকৈ এনেই দিম বোলা নাই।

নৰ্ত্তম।—কি! কাম কৰি দিয়া নাই নে? এনেই হে ৰাখি দিলোঁ এবেলা পৰলৈ? আন্ধাৰু বালিৰ পোন্ পোৱাইছিলোঁহি আৰু! পিচে, কি কৰিবা, অদ্ভুত গণনা নগণা হ'ল!

মাধৱ।—নগণা হ'ল, মই কৰিম কি? কাৰ্য্য সিদ্ধি হলে হে বাকী কেটকা দিম বুলিছিলোঁ; নহ'ল সিদ্ধি, নোপোৱাঁ।

নৰ্ত্তম।- মোৰ দোষত নহ'ল নে কিবা?

মাধৱ।—যাৰে দোষত নহক লাগে।

নৰ্ত্তম।—এ, সেইবোৰ ঠগ্‌বাজী নকৰিবাঁ জানিছা: দিয়াঁ, দিবলগীয়া দি দিয়াঁ, গুচি যাওঁ।

মাধৱ।—যোৱাঁ গুচি, তোমাক নো কোনে ধৰি ৰাখিছে? কিয় আছা?

নৰ্ত্তম।—নিদিয়া দেখি হে আছোঁ।

মাধৱ।—নিদিওঁ বুলিছোঁ নহয়।

নৰ্ত্তম।—নিদিবা কিয়? মোলৈ বুলি মোগলৰ টকা আনি এতিয়া নিজে খাবা নে কি?

মাধব।—মোগলৰপৰা ধন লোৱাৰ লগত তোমাৰ কি হাত আছে? তোমাৰ বন্দবস্ত আছিল মোৰ লগত। মোগল গুৱাহাটী সোমোৱালৈকে অসমীয়া ৰণুৱাক ক্ষণ নিদি ৰাখি থব পৰা হলে, আমাৰ উদ্দেশ্য সিদ্ধি হ'লহেঁতেন; তেতিয়া বাকী কেটকা হে নালাগে আৰু কিমান পালাঁহেঁতেন!

নৰ্ত্তম।—নালাগে আমাক বেছিকৈ; যি পাব লগা আছিল তাকে দিয়া, গুচি যাওঁ।

মাধব।—কি অবুজন অ! কাৰ্য্য সিদ্ধি নহ'ল দেখি, নোপোৱা বুলিছো নহয়? কি কেপ্ কেপাই থাকা?

নৰ্ত্তম।—নাপাম কিয়? এঃ, এনেয়ে আহিছে! দিয়া, দিয়া। নিদিলে নেৰিম জানিছা (মাধবৰ জোলোঙাত ঠাপ্ মাৰি ধৰি টনা-আজোৰা লগায়; আৰু জোঁটাপুটিত দুয়ো বাগৰি পৰি চৰিয়াচৰিকৈ চিয়ঁৰ-বাখৰ লগায়)

(এটা মোগল সৈনিকৰ প্ৰবেশ)

সৈনিক।—হো, আল্লা! কি হৈছে তইঁতৰ? কি হৈছে, কচোন বাৰু শুনোঁ। (দুইকো জোঁটাপুটি ভাঙ্গি এৰুৱাই দিয়ে)

মাধব।—ধৰা, ধৰা দোছ্, এই দুষ্মনক ধৰি দুকিলমান লগাই দিয়া। ই মোগলৰ ফালৰ ধন খাই, ক্ষণ নিদিওঁ বুলি এৰি দি, বেইমানী কৰিছে।

সৈনিক।—হয় নে? অ, সেই হে আমি জিকিও হাৰিলোঁ! বেটা, বেইমান নিমখ হাৰাম! (নৰ্ত্তমক ধৰি চৰ, ভুকু ইত্যাদিৰে কিল-কীৰ্ত্তন কৰে)

নৰ্ত্তম।—উঃ ৰাম! মৰিলোঁ, মৰিলোঁ, এৰি দে। বাৰু, মোৰ কথাওচোন শুন। উঃ, উঃ—

সৈনিক।—আচ্ছা কি কবি ক, ক বেটা বেইমান, ক।

নৰ্ত্তম।—তুমি জনা নাই দোছ, সি মোক দিওঁ বোলা টকা নিদি হে গোটেই বৰ্ব্বাদ কৰিলে! মোক সি আপোনালোকে ঘুচ্ দিয়া ধনখিনি নিদিয়াত হে ক্ষণ এৰাই গ'ল!

সৈনিক।—হয় নে বেইমান, নিমখহাৰাম! তই আগেয়েও কেইবাবাৰো হেনো মোগলৰ নিমখ খাই নিমখ-হাৰামী কৰি থৈছ। বেটা, তোক হে মজা দিব লাগে (মাধবক ধৰি পেলাই লৈ গুকলাগুকলকৈ কিলায়)

নৰ্ত্তম।—(হেঁপাহ গুচাই মাধবক কিলচাবেক মাৰি) ধৰা দোছ, কটাবন্দী এই ঠগ্‌বাজক বিষয়াৰ আগত দিওঁগৈ নি। (দুয়ো দুই বাউসিত ধৰি মাধবক চোঁচোৰাই উলিয়াই নিয়ে)

মাধব।—হেৰ ই, নিনিবিহঁতঐ! নবধিবিহঁতঔ! এতিয়া হে মৰিলোঁও! (প্ৰস্থান)

চতুৰ্থ গৰ্ভাঙ্ক

হাদিৰা,—ৰণ-কেন্দ্ৰ

(ৰামসিংহ, নচৰৎখাঁ আৰু অজিত)

নচৰৎ।—চৰিপ্‌খাঁৰ পতনৰ লগতে আমাৰ নৌ-সেনাৰ একেবাৰে বল মৰিল; এতিয়া আৰু আমাৰ ৰণতৰী যিবোৰ বাকী ৰৈছে, সেইবোৰ মোৰ বোধেৰে ফেৰত পঠোৱা হে যুগুত।

ৰামসিংহ।—ৰণতৰী আটাইবোৰ গৈ মানাহাত ৰবলৈ আদেশ দিয়া হৈছে। সম্প্ৰতিকলৈ জল-যুদ্ধৰ আয়োজন আৱশ্যক নকৰে। কিন্তু, শৰাইঘাটৰ যুদ্ধৰ পাচত লগা স্থলযুদ্ধ কেখনতো যে আজিলৈকে আমি হে ঘাটিব লাগিছোঁ, ই হে দুখৰ বিষয়! তোমালোকক আৰু কি কম, এই বাবে মই বৰ অপমান পাইছোঁ। এতিয়া কোন্ মুখেৰে যে দিল্লীলৈ উলটিম তাকে হে ভাবিছোঁ।

নচৰৎ। -আমি নো বাৰু কি কৰিম? আমি তো কৰ্ত্তব্যত ক্ৰটী কৰা নাই। আপুনি স্ব-চকুৰে দেখিয়েই আছে।

ৰামসিংহ।—অৱশ্যে, তোমালোকে যত্নৰ ক্ৰটী কৰা নাই; কিন্তু অসমীয়া সৈন্য ইমান কাজুৱা বুলি মোৰ ইতিপূৰ্ব্বে ধাৰণা নাছিল। এতিয়া দেখিছোঁ, একেবিধ অসমীয়া সৈন্যই নাবিক, পদাতিক আৰু অশ্বাৰোহী সৈন্যৰ কাম কৰিব পাৰে; সেই একেবিধেই তীৰ, বন্দুক আৰু বৰতোপ মাৰিব পাৰে; গড় বান্ধিব পাৰে; মাল যুঁজিব পাৰে;—বিশেষকৈ চোৰাংচোৱা

কাৰ্য্যত অসমীয়া সৈনিক ভাৰতৰ ভিতৰত অতুলনীয়। মূঠৰ ওপৰত কবলৈ গলে, সিহঁত ৰণ-সংক্ৰান্ত সকলো কামতে পৈণত। এনে অদ্ভুত, অথচ বিচক্ষণীয়া সৈন্য এক আহোম ৰজাত বাজে ভাৰত-বৰ্ষৰ আন কোনো ৰাজক্ষমতাৰ আছে বুলি মই নাজানোঁ। সেই হে আহোম ৰাজক্ষমতাৰ অসম পৰাক্ৰম! তথাপি, এখন ৰণতো আমি নাম কৰিব নোৱাৰাৰ বাবে আপোনা-আপুনি খেদ কৰিব লগীয়া হৈছে। ইফালে ৰণৰো সামৰণি পৰিব লগীয়া হ'লহি।

অজিত।—হজুৰ! ৰণৰ সামৰণি পৰিবৰ হৈছে নে?

ৰামসিংহ।—ওঁ, সামৰণিৰ ওচৰ চাপিছেহি। এই খনেই শেহ ৰণ হ'ব। ইয়াতে মোৰ বল-বীৰ্য্য, ৰণ-কৌশল, ৰণ-বল যি বাকী ৰৈছে চূড়ান্তকৈ খটাম। এই ৰণতে হয় লাচিত, নহয় ৰামসিংহৰ পতন নিশ্চয়।

অজিত।—ইয়াৰ পাচত আৰু ৰণ দিয়া নহ'ব নে?

ৰামসিংহ।—এই যাত্ৰাত আৰু নহয়।

অজিত।—ওঁ, বুজিলোঁ; ইয়াতে সকলো শেষ হ'ব লাগে।

নচৰৎ।—এইবাৰ বোলে হতীয়াহতি যুদ্ধ হ'ব? হয় নে?

ৰামসিংহ।—হয়, আমাৰ সেই প্ৰস্তাৱ শত্ৰুপক্ষে গ্ৰহণ কৰিছে।

নচৰৎ। তেন্তে লাচিতৰ শিৰলৈ মোৰ নজৰ থাকিল।

ৰামসিংহ।—লাচিত হেন বীৰৰে সৈতে হতীয়াহতি তোমালোকৰ লগত হোৱাটো শোভনীয় নহব। লাচিত যদি তোমাৰ হাতত পৰিব লাগে, তেন্তে মোলৈ আৰু কোন্ থাকিব!

নচৰৎ।—বাৰু, আপোনাৰ হাতৰপৰা সাৰি যায় যদি, তেতিয়া আমি আক্ৰমণ কৰিলে তো দোষ নাই?

ৰামসিংহ।—হওঁতে শত্ৰুবধত দোষ কি আছে! কিন্তু, মোৰ হাতৰপৰাই সাৰি যাওকচোন,—এইবাৰ আহক।

নচৰৎ।—বাৰু, তেন্তে মনত থাকিল। সাজু হৈ আহোঁগৈ। (প্ৰস্থান)

অজিত।—মোৰো মনত থাকিল। ময়ো স্বৱেশেৰে আহোঁগৈ। (প্ৰস্থান)

নেপথ্যত।—জয়, স্বৰ্গদেৱৰ জয়! জয় লাচিত বৰফুকনৰ জয়!

(খোলা তৰোৱালেৰে লাচিতৰ প্ৰৱেশ)

লাচিত।—ধৰাঁ অসি, ৰামসিংহ, আজি তোমাৰে সৈতে হেঁপাহ পলুৱাই লাগি চাওঁ। তুমি আহোম স্বৰ্গদেৱক এই কাৰ্য্যলৈ বিচাৰিছিলাঁ; প্ৰথমে তেওঁৰ এই অনুচৰকে চাই লোৱাঁ। হেৰা বীৰ! মল্লযুদ্ধত আহোমৰ বাহুবলৰ চিনাকি ইয়াৰ আগেয়ে তোমাক দিয়া নাই, তালৈ সময় হোৱা নাছিল বুলি; এতিয়া মোৰ উদ্দেশ্য সিদ্ধি হ'ল, সেই সময়ো হৈছে। ধৰাঁ অসি, আহোম বীৰৰ প্ৰত্যক্ষ চিনাকি দিওঁ!

ৰামসিংহ।—চলোৱাঁ অসি, লাচিত, এই তোমাৰ অন্তকাল!

(লাচিত আৰু ৰামসিংহৰ মাজত অসিযুদ্ধ; নচৰতৰ হঠাৎ প্ৰৱেশ)

নচৰৎ।—কি চাব লাগিছে,—এই একে ঘাপে বধিলোঁ লাচিত!

(নচৰতে পিচৰপৰা লাচিতক ঘাপ মাৰিবলৈ উদ্যত, এনেতে বিজুলী-সঞ্চাৰে অজিতে প্ৰৱেশ কৰি, সৈনিক পোছাক ছিঁৰি দলিয়াই পেলাই, "ৰমণী গাভৰু"ৰ স্বৰূপ সাজেৰে আক্ৰমণৰ মাজত সোমায়হি)

অজিত।—কি কৰাঁ! কি কৰাঁ নচৰৎ!

নচৰৎ।—(চমক্ খাই) ইকি!—অজিত!—অজিত কি ৰমণী!!

ৰমণী।—আন ৰমণী নহয়,—'ৰমণী গাভৰু'। নচৰত! আগেয়ে ৰমণীক নবধিলে মোৰ মানস-স্বামী লাচিতক বধিব নোৱাৰাঁ। চাই লোৱাঁ, স্ব-ৰূপ মোৰ! আজি হে ৰমণীৰ বিয়া!—(নচৰতৰে সৈতে অসি-যুদ্ধত ৰমণী গাভৰুৰ পতন, নচৰতৰ তুৰন্তে প্ৰস্থান, লাচিত আৰু ৰামসিংহ তথা!)

ৰমণী।—প-ৰ-ভু, দয়া-ম-য়, পু-ৰা-লোঁ কা-ম-না! সা-ৰ্-থক্ জী-ৱন! জ-ন-ম ভূ-মিৰ উদ্-ধা-ৰ দে-খি-লোঁ। য'-ৰ দে-হা ত'-ত সঁ-পি-লোঁহি। যা-ক ভা-ব-ত, তা-ক আ-গত পা-লোঁ-হি। ম-নো-ৰথ পূ-ৰ-ণ হ-ল মোৰ। (মৃত্যু)

ৰামসিংহ।—অহঃ! অজিত মোৰ! তুমি তো সাধাৰণ

অজিত নাছিলাঁ! তুমি ৰমণী গাভৰু! সেই হে ৰমণী গাভৰুৰ উন্নত ভাবেৰে মোক মুহিব পাৰিছিলাঁ তুমি; এক্ষন্তেকলৈকো কৰ্তব্যবিমুখ নহৈ তুমি ক্ষত্ৰিয়ক শিক্ষা দিব পাৰিছিলাঁ। আহোম 'ৰমণী' সামান্য ৰমণী নহয়। তোমাৰ বীৰাঙ্গনা চৰিত্ৰৰ বলে শত ক্ষত্ৰিয়ৰ তেজ পানী কৰিব, ভাৰত ৰমণীক সতীত্বৰ জ্ঞান দিব।—আহোম বীৰ লাচিত! তোমাৰ বীৰত্ব, তোমাৰ ৰণ-পাণ্ডিত্য, তোমাৰ ৰাজভক্তি, তোমাৰ জাতীয়তা, তোমাৰ স্বদেশ-প্ৰেম পৃথিৱীৰ আদৰ্শ। ক্ষত্ৰিয় ৰীতি অনুসৰি, মই আজি প্ৰকাশ্যে তোমাৰ ওচৰত পৰাজয় স্বীকাৰ কৰি স্বদেশলৈ উলটিলোঁ; তোমাৰ দেশ তুমি উদ্ধাৰ কৰিলাঁ। যি দেশত ৰমণী গাভৰু হেন বীৰকন্যা আৰু লাচিত বৰফুকন হেন বীৰপুত্ৰৰ জন্ম, সেই দেশত অন্যৰ অধিকাৰ নাই!

(গহীন খোজেৰে প্ৰস্থান)

লাচিত।—অহঃ! কি অলৌকিক বিয়া! পৃথিৱীত এনে বিয়া দেখুৱাবলৈকে ৰমণী গাভৰুৱে অসমত জন্ম লৈছিল! ধন্য তুমি গাভৰু! ধন্য তোমাৰ প্ৰতিজ্ঞা! ধন্য তোমাৰ স্বদেশ-প্ৰেম! ধন্য, ধন্য তোমাৰ গুপ্ত-প্ৰেম! প্ৰাণ দি ৰাখিলাঁ এই প্ৰাণ; কিবা পালাঁ প্ৰতিদান? নাই, নাই তাৰ যোগ্য প্ৰতিদান, নাই এই সামৰিক কৰ্ম্মজীৱনত। যি বিয়া পাতিলাঁ আজি মানসত মোৰে, অচিৰে পাতিম সি বিয়া সিপুৰীত তোমাৰে। মিলিব তাৰ শুভচেগ অনতিপলমে। দৈহিক ৰণত প্ৰকাশ্যে জয়ী হৈ বিজয়ী নাম লাভ কৰিলোঁ; আধ্যাত্মিক ৰণৰ ক্ষণ গনিম সংগোপনে এই ৰণ-সামৰণিত। (নেপথ্যলৈ চাই) কোন আছা? —(পানীফুকন আৰু গন্ধৰ্ব্বৰ প্ৰবেশ) লোৱাঁ, এই পৱিত্ৰ শৱ গভীৰ সন্মানেৰে আমাৰ শিবিৰলৈ লৈ যোৱাঁ; ইয়াৰ সুযোগ্য সৎকাৰ হ'ব লাগিব।

(বাউলী হৈ আঘনী বুঢ়ীয়ে উধাতুখাই প্ৰৱেশ কৰি ৰমণী গাভৰুৰ শৱৰ পাদত পৰি বিনাবলৈ ধৰে)

লাচিত।—(আচৰিত হৈ) ই কি! এই যে সেই আঘনী বুঢ়ী, যাক ৰমণী গাভৰুৰ যৌতুকত দিয়া হৈছিল! —তই কেনেকৈ ওলালিহি ইয়াত?

আঘনী।—দোতা! মোক সিদিনা মুছলমান যুৱৰাজৰ মানুহে গুৱাহাটীত থৈ গ'লহি!

পানীফুকন।—আমাৰ মানুহ আৰু কাৰোবাক থৈ গৈছেহি নে?

আঘনী।—নাই ডেকা-দোতা! আমাৰ মানুহ বুলিবলৈ তাত আৰু ৰজনী গাভৰু হে থাকিল। তেওঁক অলপতে ৰমণী গাভৰু আইদেউ বুলি মুছলমান যুৱৰাজে বিয়া কৰালে।

গন্ধৰ্ব্ব।—কেনেকৈ, কি হ'ল, ভাঙ্গি কচোন।

আঘনী।—এ, কিনো কম, দোতা! ৰমণী আইদেউক বুজাই-বৰাই ৰাজী কৰাবলৈ নিতৌ বেগম-বিলাক আহে, পিচে আইদেউ একোপধ্যে ৰাজী নহয়।

গন্ধৰ্ব্ব।—কিহলৈ ৰাজী নহয়?

আঘনী।—যুৱৰাজক বিয়া কৰাবলৈ ৰাজী নহয়। আইদেৱে বুকুৰপৰা সৰু মিটকটাৰি এখন উলিয়াই দেখুৱাই কয়, "মাৰি যাম, মৰি যাম"। পিচে, পাচলৈ গতিক বিষম বুজি আইদেৱে ফন্দ্ পাতিলে।

পানীফুকন।—কি ফন্দ্, কচোন, ভাঙ্গি ক।

আঘনী।—পিচে, আইদেৱে এদিন আমিনা নামেৰে লিগিৰীৰ আগত যুৱৰাজলৈ বতৰা দি পঠালে, বোলে, এতিয়া তাত আইদেউৰ মন বশ নাই এথোন, দিনদিয়েক বাট চাওক; আৰু, বোলে, ইয়াৰ ভিতৰতে আইদেৱে পুৰফালৰ তীৰথ্ খনদিয়েক দৰশন কৰি আহিবলৈ মন কৰে। সেই কথাত যুৱৰাজ বৰ ৰং মনেৰে মান্তি হ'ল।

গন্ধৰ্ব্ব।—পিচে, পিচে, তাৰ পাচত কি হ'ল?

আঘনী।—পিচে, তিনদিনমানৰ পাচত, ৰমণী আইদেৱে সখীয়া ৰজনী গাভৰুক নিজৰ সাজপাৰ পিন্ধাই, নিজৰ নিচিনা কৰি, তেওঁক আৰু মোক এই বুলি বুজাই কলে যে, যুৱৰাজে যেতিয়া আমাক দেশ ফুৰাই আনিবলৈ পাল্কী আৰু মানুহ পঠিয়াব,

তেতিয়া ৰজনী গাভৰুৱে ৰজনী আউদেউ বুলি পাৰ্ব্বতীত উঠি ওলাই যাব।

পানীফুকন।—পিচে, সেই মতে কাম হ'ল নে?

আঘনী।—হ'ল, দোৱা! ৰজনী গাভৰুৰ লগতে মোকো পঠিয়ালে। পিচে তিনদিনমানৰ পাচত, আমি তীৰথৰপৰা ঘূৰি আহি ৰমণী আইদেউক আৰু নেদেখিলোঁহি।

গন্ধৰ্ব্ব।—বাৰু, তাৰ পাচত?

আঘনী।—তাৰপৰা কেদিনমানৰ পাচত, ৰজনী গাভৰুকে ৰমণী আইদেউ বুলি যুৱৰাজে বিয়া কৰালে। মোৰ হলে ভাল নালাগিল। মোৰ আইদেউৰ বিহনে মই গোটেইখন এন্ধাৰ দেখা হলোঁ! সদায় বলিয়া-বতিয়া হৈ কান্দি-কাটি থাকোঁ। সেই দেখি ৰজনী গাভৰুৰ দিহামতে যুৱৰাজৰ মানুহে মোক গুৱাহাটীত থৈ গ'লহি।

লাচিত।—বুজিলোঁ। এয়ে সেই বিস্ময়জনক মৰ্ম্মস্পর্শী কাহিনীৰ আদিছোৱা। অহঃ। বুদ্ধিমতী সাধ্বী-সতী ৰমণী দেবীৰ যোগ্যতম কাৰ্য্য! তেওঁৰ অন্তৰৰ গুপ্ত প্ৰেম মোক ফুটাই দেখুৱালে; কিন্তু মোৰ ভাগ্যত হে সেই দৈবিক ছেগ নিমিলিল! (গভীৰ হুমুনিয়াহ কাঢ়ি) লোৱাঁ, পুষ্পশয্যাত তুলি মোৰ মানস ভাৰ্য্যাৰ পৱিত্ৰ শৱ শিবিৰলৈ অতি সন্তৰ্পণে লৈ আহাঁহক। (লাচিতৰ প্ৰস্থান)

(শৱযাত্ৰীসৱে ৰমণী গাভৰুৰ পৱিত্ৰ শৱ অতি সন্তৰ্পণে পুষ্পশয্যাত তুলি লৈ, ঐক্যতানৰ শোক-গীত গাই গাই শিবিৰৰ মুখে গতি কৰে)

যোগীয়া—একতালা

(হাঁয়) প্ৰেম মুফুলিলে, ক্ষণ নিমিলিলে,
হিয়াতে হেঁপাহ পলালে অই!
পুণ্য আশাটিয়ে, গোপনতে ভাহি,
গোপনতে মাৰ গ'ল অই!!
(হাঁয়) এই যে সংসাৰ, এই সংসাৰৰ কেও
প্ৰেমৰ মহিমা নাপায়,
এই সংসাৰে প্ৰেম বিলাওঁতে ঢুকায়!--
য'ত আছে হাঁয়, সদা প্ৰেম দিয়া-দিয়ি,
ত'ত দেৱী! প্ৰাণ জুৰোৱাঁ গই!!

পঞ্চম গৰ্ভাঙ্ক

হাদিৰা,—দোপ্‌দৰ

(লাচিত, পিজলা, পানীফুকন, গন্ধৰ্ব্ব, বুঢ়াগোহাঞি প্ৰভৃতি)

লাচিত।--হে মোৰ সহযোগী কৰ্ম্মচাৰীসকল! শৰাইঘাটৰ ৰণে আজি আমাৰ জয় আৰু মোগলৰ পৰাজয় নিশ্চয় কৰিলে। আজিৰপৰা এই মানাহা নদীয়েই আমাৰ আৰু মোগলৰ সীমা নিৰ্দ্ধাৰিত হ'ল। ইমানলৈকে আহোম ৰাজ্যৰ বিস্তৃতি বাহাল ৰাখিবৰ অৰ্থে, হাদিৰাত চকি স্থাপন কৰা গ'ল; এতিয়াৰ-পৰা এই সীমান্তত অন্য ৰাজক্ষমতাৰ গতি-বিধিৰ ওপৰত দৃষ্টি ৰাখিবৰ নিমিত্তে আহোম ৰাজৰ এজন বিষয়া নিগাজীকৈ ৰখা হ'ব।

পানীফুকন।—কোৱা বাহুল্য মাথোন, এই মহাৰণত যি গৌৰৱ লাভ হ'ল, সি কেৱল মহাবীৰ লাচিত বৰফুকনৰ অসামান্য বীৰত্ব আৰু ৰণ-পাণ্ডিত্যৰ গুণত হে। এতেকে, মোৰ প্ৰস্তাব যে, এই হাদিৰাতে লাচিত বৰফুকনৰ শিলৰ মূৰ্ত্তি এটি প্ৰতিষ্ঠা কৰি, এই বিজয়-কীৰ্ত্তিৰ চিন্ যুগমীয়া কৰিব লাগে।

গন্ধৰ্ব্ব।—মই এই প্ৰস্তাব অতি আনন্দেৰে সমৰ্থন কৰিছোঁ।

বৰগোহাঞি ডাঃ।--অতি উত্তম কথা। ময়ো প্ৰস্তাব কৰোঁ যে লাচিত বৰফুকনৰ শিলৰ মূৰ্ত্তিৰ কাষতে অসমৰ অসামান্যা ৰমণী,—ৰমণী গাভৰুৰ মৈদাম এটাও চিৰস্মৰণীয়াকৈ বন্ধাব লাগে।

বুঢ়াগোহাঞি ডাঃ।--দুয়োটি উত্তম প্ৰস্তাৱ; সি অনতি-পলমে কাৰ্য্যত পৰিণত হ'ব। তদৰ্থে, আমি ৰাজধানীলৈ উলটি গলে যুগুত দিহা কৰিমগৈহঁক।

লাচিত।—সেইবোৰ আপোনাসকলৰ নিজগুণৰ চিন্। সহযোগী ডাঙৰীয়া আৰু বিষয়াসকল। আমাৰ উপস্থিত কৰ্ত্তব্য ইমানতে অস্ত পৰিছে। আমি, স্বৰ্গদেৱৰ আদেশ আৰু উপদেশ সৰলভাৱে আৰু

অটল ৰাজভক্তিৰে সৈতে শিৰত লৈ, আমাৰ জাতীয় মহৎ উদ্দেশ্য সাধন কৰিলোঁহঁক,—আমি মোগলক পৰাস্ত কৰি, আমাৰ দ্বিখণ্ড দেশ অখণ্ড কৰি আমাৰ জাতীয় গৌৰৱ অক্ষুণ্ন কৰিলোঁহঁক। সেইবাবে আমি নিজকে কৃতাৰ্থ মানিছোঁ; আৰু আপোনাসৱ সকলোটি স্বৰ্গদেৱৰ শলাগৰ পাত্ৰ হৈছে। আপোনাসকলৰ বলতে যে মই বৰসেনাপতিৰ বাব চম্ভালি স্বৰ্গদেৱৰ উদ্দেশ্য সিদ্ধি কৰিব পাৰিলোঁ, সেই বাবে সামৰণিত মই আপোনাসকলৰ নথৈ শলাগ লৈছোঁ। আৰু, এই সংসৰ্গত এই কোঁচ-ৰাজকোঁৱৰ (গন্ধৰ্ব্বৰ হাত সোঁ-হাতত তুলি লৈ) গন্ধৰ্ব্বনাৰায়ণে মোক পুত্ৰৱৎ আচৰণেৰে বিশেষকৈ মোহিত কৰিছিল; তাৰ প্ৰত্যুপহাৰ স্বৰূপ এওঁক, মোৰ শেহজীৱনৰ শান্তিদায়িনী একেটি মাথোন মাউৰী সন্তান এই (পিজলাৰ হাত বাওঁহাতলৈ তুলি লৈ) পিজলা আইদেউক আজি, ইন্দ্ৰ-দেৱতা আৰু আপোনাসকলক সাক্ষী ৰাখি, সম্প্ৰদান কৰিলোঁ। সংসাৰত এয়ে মোৰ শেষ কাৰ্য্য। ইয়াৰ পাচত আৰু মই সাংসাৰিক কাৰ্য্যক্ষেত্ৰত নাই। যি উদ্দেশ্যে মই এই সংসাৰত প্ৰৱেশ কৰিছিলোঁ, ইচ্ছাময়ৰ ইচ্ছাত সেই উদ্দেশ্য মোৰ সিদ্ধি হৈছে। যাৰ নিমিত্তে এই জীৱন ধাৰণ কৰিছিলোঁ, সেই স্বৰ্গতো-অধিক মোৰ জন্মভূমিৰ উদ্ধাৰ সাধনত সেই জীৱন চৰিতাৰ্থ হৈছে। যি জাতীয় গৌৰৱ ৰক্ষাৰ হেতু এই বাহুবল লাভ কৰিছিলোঁ, সেই গৌৰৱৰ জেউতি চতুৰ্গুণে চৰাই নিজক ধন্য মানিছোঁ। ভাৰতবিজয়ী মোগলৰাজ আজি অসমপ্ৰতাপী আহোমৰাজৰ ওচৰত পৰাভূত হ'ল; অজেয় মোগল সেনানীয়ে আজি কাৰ্য্যকুশল অসমীয়া সেনাৰ হাতত সম্পূৰ্ণে হাৰ মানিলে; আমাৰ অনুপমা স্বদেশ অসমে আজি ভাৰতৰ ভিতৰত শীৰ্ষস্থান লাভ কৰিলে। সেই বাবে আজি আমি ধন্য, আমাৰ স্বদেশ-প্ৰেম চৰিতাৰ্থ!—জয় স্বৰ্গদেৱৰ জয়!

ঐক্যতান।—জয়, লাচিত বৰফুকনৰ জয় !!

ঐক্যতানৰ জাতীয় সঙ্গীত

(National Anthem)

অসম দেশৰ 'অসম' নামৰ
পালে জগতে প্ৰমাণ;
শত্ৰু-আক্ৰমণ কৰিলোঁ দমন
মোগল পৰিলে ম্লান।
—গোৱাঁ হে জাতীয় গান॥

আমি পাইকীয়া সেনা চৰতীয়া,
টকীয়া লাচিত মাথোঁ;
সিকি, দু-অনীয়া, নেতা আধলীয়া
স্বাধীন পতাকা ধৰোঁ।
—গোৱাঁ হে জাতীয় গান॥

জিনিলোঁ যৱন, দ্বিখণ্ড অসম
অখণ্ড কৰিলোঁ পুনু;
কামৰূপী ভাই হলোঁ একেঠাই,
বিদেশী শলাগ শুনোঁ।
—গোৱাঁ হে জাতীয় গান॥

ৰণত বিজয়ী, চলন বিনয়ী,
আমি অসমীয়া জাতি;
জিনিলোঁ মোগল যুঁজি জল-স্থল,
পলালে বিদেশী ঘাটি।
—গোৱাঁ হে জাতীয় গান॥

অদ্ভুত কৰমী, —'গাভৰু ৰমণী'
জীৱন্তে অসমী প্ৰাণ;
জাতীয় ৰণত, আসন্ন ক্ষণত,
দিলে আত্মবলি দান।
—গোৱাঁ হে জাতীয় গান॥

লাচিত-ৰমণী, মানস দম্পতী,
জ্বলন্ত দৃষ্টান্ত বল;
জাতীয় জীৱন, কৰি সু-গঠন,
(আহাঁ) বান্ধোঁ অসমীয়া বল।
—গোৱাঁ হে জাতীয় গান॥

যৱনিকাপাত

গাওঁবুঢ়া

মূল পাতনি

আধুনিক অসমীয়া সমাজৰ আদিছোৱাত, চৰ্কাৰী কৰ্ম্মচাৰী গাওঁবুঢ়াৰ 'অনাহাৰী' বিষয়-ববীয়া খাটনি বিষয়ক ৰহস্যই এই লেখকৰ অন্তৰত, ল'ৰাকালত, সদায় কৌতুহল জন্মাইছিল। সেই ৰহস্যৰ আৰ্হি ৰাইজৰ আগত দাঙ্গি ধৰাই এই সামাজিক নাটক লিখিবলৈ লোৱাৰ আগ-উদ্দেশ্য। আজিকালি অসমত পছিমীয়া ধৰণৰ অভিনয়ৰ প্ৰতি যেনেকৈ অনুৰাগ বাঢ়িছে, তেনেকৈ তাৰ জোখাই অসমীয়াত নাটক নাই,—বিশেষকৈ সামাজিক নাটক; সেই অভাব কিঞ্চিৎমান গুচাবলৈ আগবঢ়াটো এই পুথি লিখাৰ দ্বিতীয় লক্ষ্য। এই গ'ল লেখকৰ সংকল্প আৰু উদ্দেশ্য; কিন্তু তাক কিমানলৈ কাৰ্য্যত ফলিয়াব পৰা গৈছে, সেইটো ৰাইজৰ বিচাৰলৈ ৰ'ল। সমাজৰ স্বৰূপ চিত্ৰ আঁকা উজু কাম নহয়, তাতে এইফালে লেখকৰ এয়ে প্ৰথম উদ্যম; গতিকে, ইয়াত যে ভালেমান আসোঁৱাহ ওলাব, তাক কোৱাৰ সকাম নাই। ইতি—

তেজপুৰ, অসম
৬ আঘোণ, ১৮১৯ শক

বিনীত
শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

দ্বিতীয় তাঙৰণৰ পাতনি

এইবাৰ আগৰ ভালেমান আসোঁৱাহ গুচোৱাৰ উপৰি, ষ্টেজৰ নিমিত্তে উপযোগী কৰিবৰ উদ্দেশে নাটকৰ ঠায়ে-ঠায়ে গোটাদিয়েক পট অগা-পিচা কৰি দি, শেহত দুখন পট নতুনকৈ লগাই দিয়া গৈছে। ইতি—

তেজপুৰ, অসম
১ ভাদ, ১৮৩৯ শক

গ্ৰন্থকাৰ

তৃতীয় তাঙৰণৰ পাতনি

১৮৩৯ শকত দ্বিতীয় তাঙৰণ ওলোৱাৰ দুবছৰমানৰ পাচৰপৰা 'গাওঁবুঢ়া' যোৱা কুৰি বছৰ ছপাৰ-বাজ হৈ আছিল। গ্ৰাহকসকলে ওপৰা-উপৰিকৈ 'অৰ্ডাৰ' দিও কিতাপ নাপাই নিটাল মাৰিলে; কিয়নো, আমাৰ স্কুলীয়া পাঠ্য কিতাপবিলাকৰ নতুন নতুন তাঙৰণ উলিয়াব বাবে আজৰি নোপোৱা হেতুকে, বাজে কিতাপৰ নতুন তাঙৰণ উলিয়াবলৈ আমি ছেগ ধৰিব পৰা নাছিলোঁ। এতিয়া, কলিকতা ইউনিভাৰ্চিটীৰ অনুগ্ৰহৰ চিন্ স্বৰূপে 'গাওঁবুঢ়া' এম-এ মহলাৰ্থীৰ কাৰণে পাঠ্য নিৰ্দ্ধাৰিত হোৱাত, পৰম উলাহেৰে তাৰ তৃতীয় তাঙৰণ খৰধৰকৈ উলিৱা হৈছে। এই আলমতে, সৰ্ব্বসাধাৰণ ৰাইজৰ কুৰিবছৰীয়া আহ্বান ৰক্ষা কৰিবলৈ এটি আপুৰুগীয়া ছেগ পোৱাটো আমাৰ সৌভাগ্য বুলি মানিছোঁ। এই তাঙৰণত আগৰ আসোঁৱাহ পাৰ্য্যমানে গুচাবলৈ চোৱা গৈছে, কিন্তু লৰালৰিকৈ উলিয়াব লগীয়া হোৱাত, সংকল্পিত উন্নতি মনৰ জোখাই সাধিব পৰা নহ'ল, পাচৰ তাঙৰণলৈ হে সাঁচি থোৱা হ'ল। ইতি—

তেজপুৰ, অসম
১ ভাদ, শ্ৰীকৃষ্ণাষ্টমী, ১৮৬০ শক

গ্ৰন্থকাৰ

উছৰ্গা

জয়ে জয়ে যাৰপৰা
মোৰ কুমলীয়া অন্তৰত
অসমীয়া সাহিত্যৰ প্ৰতি অনুৰাগ ওপজে,
আৰু
যাৰ মুখে পোন প্ৰথমে
এই
'গাওঁবুঢ়া'
অসমত বৃটিচ্ শাসনৰ আদিছোৱাৰ
নিভাঁজ চিত্ৰ
বুলি
শলাগৰ উৎসাহ পাওঁ,
সেই
শ্ৰদ্ধাস্পদ সৰল দেশহিতৈষী
অনৰেবোল ৰায় ফণিধৰ চলিহা বাহাদুৰৰ
কৰ-পল্লৱত
এই পুথি
শ্ৰদ্ধাঞ্জলিস্বৰূপে
অৰ্পণ কৰা হ'ল।
গ্ৰন্থকাৰ

—

ভাওবিলাক

মুনিহ

ৰত্নেশ্বৰ হাজৰিকা	লক্ষীমপুৰৰ মৌজাদাৰ।
বাপুৰাম শইকীয়া	„ মণ্ডল।
কচুথোৱা ছুটীয়া	„ গাওঁবুঢ়া।
কেৰপাই কোচ	„ গাওঁবুঢ়া।
টেপেৰা কলিতা	„ গাওবুঢ়া।
ভোগমন চেটিয়া	„ ন-গাওঁবুঢ়া।
মাণিকচন্দ্ৰ বৰুৱা	থানাৰ দাৰোগা।
মঙ্গলা	মৌজাদাৰৰ লগুৱা।
মিঃ ইয়ং	মহকুমাৰ গৰাকী চাহাব।
বিলত আৰু পেজান	দুটা গাৱঁৰ মৰিয়া।
মিঃ স্কট্	জিলাৰ গৰাকী, বৰচাহাব।

আৰ্দ্দলি, চন্দাৰ, টেকেলা, খানচামা, কুলী, চিপাহী, ৰায়ত, গুচৰীয়া, পদকীয়া, মেলুৱৈ, পেস্কাৰ, মুক্তিয়াৰ, নাজিৰ, ইত্যাদি।

তিৰোতা

অমিলা	ৰত্নেশ্বৰৰ ভাৰ্য্যা।
ৰংদৈ	ভোগমনৰ ঘৈণীয়েক।
জেতুকী	„ জীয়েক।
ভেলেউ	গাৱঁৰ মৰিয়ানী।

লিগিৰী, নাচনী, গঞানী, ইত্যাদি।

গাওঁবুঢ়া

প্ৰথম অঙ্ক

প্ৰথম পট, গাঁৱলীয়া ৰাজবাট

(বাপুৰাম, কচুখোবা আৰু এটা চিপাহীয়ে কুলী ধৰে)

১ম কুলী। -(বাপুলৈ চাই) দেউতা ঈশ্বৰ। অলপ কিৰ্পা নকৰিলে আৰু বন্দী নিগমে মৰিলোঁ। মোৰ নো কোন আছে, অকনশৰীয়া মানুহ, দেউতাই দেখিছেই। কালিযে সিজনীয়ে ডাঙৰী গোটা-চেৰেক দাই থৈ আহিছিল, আজি নচপালে, পথাৰৰ মুঠি পথাৰতে ৰব। আৰু, কানীয়া মানুহ, গাত নো কি বল-শক্তি আছে, দেখিছেই।

বাপু।—(খঙেৰে) কটা, তই মৰ্ বা তৰ, মই কি কৰিম? চৰ্কাৰী কাম, কুলী নিদিলে মোক হ'বলা হাকিমে শুদাই এৰিব? গুচ্, টপ্‌টপাই নাথাকিবি মোৰ ওচৰত।

১ম কুলী। -(কচুখোৱালৈ চাই) গাওঁবুঢ়া ককাই। তুমিও নো মুখলৈ নোচোৱাঁ নে?

কচু।—এৰা, নেচাম নো কেলৈ? তই মোলৈ কোঁচ্ ভৰাই নি চাৱ নহয়? আমাক তামোল এটা, পাণ এবিৰা পাৰি দিয়াও তহতৰ মানত লাজৰ কথা। এতিয়া মুখলৈ নেচাম নো কিয়?

২য় কুলী।- (বাপুৰ পিচফালে থিয় দি) ডাঙৰীযাই অলপকৈ হাতখনি মুকলি কৰিলেহেঁতেন (বাপুৰে পিচফালে হাত পাতে, কুলীটোৱে টিপতে সিকি এটা গুজি দিয়ে)।

বাপু।—(উলটি চাই) অ, হেৰ ভটাগুটী।

২য় কুলী।—দেউতা, কিবা কব খুজিছে?

বাপু।—হেৰ, তোৰ বোৱেৰৰ ভিনীহিয়েকৰ পিতেকৰ তিলনী গ'ল জানো? ল'ৰাটো ঢুকাবৰ আজি কেইদিন?

২য় কুলী।—তিৰ্লনি নাই যোৱা দেউতা। ঢুকাবৰ আজি দুদিন হে হৈছে।

বাপু। এৰা, তহঁতৰ অশৌচ যোৱাই নাই তেন্তে। বাৰু, আন এটাহে বিচাৰিবলগীয়া হ'ল, তই যাগৈ তেনেহলে।

২য় কুলী।—ভাল ডাঙৰীযা দেউতা। (আনন্দেৰে প্ৰস্থান)

৩য় কুলী।—(কচুখোৱাৰ কাণে কাণে) শুনাচোঁ গাওঁবুঢ়া ককাই। সিদিনা মালভোগ কল এথোকা পকিছিল। মনতেহে, বোলোঁ, কলও পকক, নতুনকৈ বেঙেনা এগাল ফলিযাইছে সিও ডাঙৰ হক, একেলগে নি তোমাৰ ঘৰত দি আহিমগৈ। তাকে সিদিনা সৌ তেওঁ মণ্ডলে বুজ পাই আহিবৰেপৰা গোটেই আমাৰ ফালে টিঙিৰিতুলা হৈ আছে। নেদেখিছোঁ, আজি পোনছাটেই তেওঁ মোক হে লাগিছেহি।

কচু।—(ইফালে সিফালে চাই, ফুচ্‌ফুচীয়াকৈ) সঁচা নে? বাৰু, তেন্তে মই তোৰ ফালে পিঠি দিওঁ, তই লৰেই মাৰ। কিন্তু, বেঙেনা পাচেও দিবিগৈ, কলথোকা এতিয়াই নি আমাৰ সিজনীৰ হাতত দিবিগৈ। যা, যা।

৩য় কুলী।—ভাল, কোনো কথা নাই, গৈয়েই দিমগৈ (লৰ মাৰে)।

বাপু।--দেখ, দেখ, কনিষ্ট। ঐ কুলী ভাগ্‌কে লৰ্-মাৰ্‌তাহেঁই। তুমি খেদি যাইকে তাক পাকুৰি আনও। (চিপাহীটোৱে যাবলৈ ধৰে)

কচু।—নাহি, নাহি, কনিষ্ট বাবু, তুমি ৰহ, হামি এক লৰমে যাইকে তাক পাকুৰি লৈ আনেগা। (কুলীৰ পিচে পিচে লৰ ধৰে)

চিপাহী।—(মণ্ডললৈ চাই) এ কেইচা বাত্‌হেঁই? হাম্‌লোক্‌কো চাৰ আড্‌মিকো দৰ্কাৰ থা, চব পূৰা হো গিয়াৰাহা; লেকিন তোম্ আপ্‌না মত্‌লবচে

একঠো চোৰ্ দিয়া; আওৰ একঠো আভি ভাগ্ যাতাহেঁই। হাম্লোক্ আওৰ ডেৰি কর্ণে নাহি চেক্তাহে। তব্ আভি ক্যা কৰেগা? হাম্কো মালুম হোৱা, এ চব তোমালোক্কা কায়দা হেঁই। (থঙেৰে) আওৰ ডেৰি নাহি কৰেগা। তোমালোক দুনো আপ্নে কুলী যানে পৰেগা।

বাপু।—(ভয়েৰে) নাহি নাহি, চিপাহী জি! আপ্ খং নাই কৰেগা। হামি এতিয়াই দোচোৰা কুলী ধৰি দেঙ্গা।

(ফোঁপাই ফোঁপাই কচুখোৱাৰ পুনঃ প্ৰৱেশ)

কচু।—(বাপুলৈ চাই) নেপালোঁগৈ; নোৱাৰিলোঁ ধৰিব! সি গোটেই ফিৰিঙ্গতি ওফৰাদি উফৰিল!

চিপাহী।—(থঙেৰে) চুৱাৰ, পাজী, তব তোম কাহে হাম্কো যানে মানা কিয়া? আভি তোম্ আপ্নে কুলী যানে পৰেগা। (কচুখোৱাৰ গল্ধনত হেঁচি ধৰি) চলও আভি।

(এটা মানুহৰ সৈতে ভোগমন আহি আছে)

কচু।—(কাওবাওকৈ) কনিষ্ট বাবু! আপুনি খং নাই কৰেগা। আপুনি অলপ চবুল কৰেগা; ঐ দুটা আড্মি আহ্তাহে। ঐ দুটাকে ধৰি দেঙ্গা। এতিয়া হামিলোক চুপ্ কৰি ৰহেগা।

মানুহটো।—(নিলগৰপৰা বেঙা মেলি চাই) বোপাই ভোগমন, মোক ভাল বাঘৰ মুখত পেলালিহি! সৌ জাক নেদেখিছ? লগতে ৰঙাপাগুৰি মৰা এটাও! তোক যেনিবা ভাল মানুহৰ ল'ৰা বুলিয়েই এৰিব বোপাই; মই ইমানতে পলোৱাহে ভাল। (উলটি লৰ ধৰে)

ভোগমন।—(কচুখোৱাৰ কাষ চাপি গহীনাই) কি গাওঁ-বুঢ়া ককাই, কুলী ধৰা হৈছে নে? কলৈ নো যাব লাগে?

কচু।—এৰা, যেনিবা কুলীকে ধৰা হৈছে। তুমিও লগত লগ নধৰা নে?

ভোগ।—এৰা, লগ ধৰাৰ পৰা হলে যেনিবা ইমান দিনে মুকলিমুৰীয়াকৈ নেৰিলাহেঁতেন। এতিয়াও আমাক সেই ফেৰা উপকাৰ নকৰিলেই ভাল (গহীন-ভাৱে পাৰ হৈ যাব খোজে)।

কচু।—নহয়, নহয় শুনিছানে, এনে ছেগত আৰু তোমাক অকলশৰীয়াকৈ এৰি দিব নোৱাৰি। আঁহা, আঁহা, লগ ধৰাঁহি। (হাতত ধৰি টানে)

ভোগ।—(কচুৰ হাতখন আছাৰমাৰি পঠিয়াই) এৰি দিয়াঁহে; বুঢ়া মানুহ হৈ কি ভেঙ্কুচালিখন কৰা! (জোঁটাপুটি লাগে)

কচু।—কনিষ্ট বাবু, কনিষ্ট বাবু, ধৰও ইয়াকু ধৰও, পাকুৰি লও। (চিপাহীয়ে ভোগমনৰ গল্ধনত ধৰি টানি আনে)

ভোগ।—(কচুখোৱাৰ প্ৰতি) হেৰ, চপনীয়া গোলামৰ পিতেক, তই দেখোন বৰ কেৰেমতালি কৰ! মই বায়নৰ ঘৰৰ ল'ৰা বুলি দেশখনে জানে। তোৰ দৰে মই ধেনু-চোঁচা কাঁড়ীৰ ল'ৰা নে? মোক কেতিয়াবা কুলী খটা দেখিছিলি নে? বাৰু বল, ডেৰেকা বাবুত কৈ, মই তোৰ আগতে এৰাই আহিব পাৰোঁ নে নোৱাৰোঁ চা। তই দেখোন—(চিপাহীয়ে টেঁটুত চেপা দি ধৰে)।

বাপু।—চিপাহী, আভি চলও। বহুত ডেৰি হৈ গিয়া। বাট মে আৰু একঠো পাকুৰি লৈ যায়গা।

চিপাহী।—আচ্ছা, চলও আভি। (সকলোৰে প্ৰস্থান)

দ্বিতীয় পট,—থানা

(এটা চিপাহীৰে সৈতে মাণিকচন্দ্ৰ দাৰোগা বহি আছে)

মাণিক।—তইতে দেখ্চোন বাৰু! সেই বদ্মাচ দেচোৱালী চিপাহীটো পুৱাতে গ'ল্, এতিয়াও উলটি নাহিল; ইফালে মোৰো গা ধুবৰ সময় হ'লহি।

চিপাহী।—হয়, দেউতা, সি বৰ ফিকিৰদাৰ মানুহ। সি বা কি ফন্দী পাতি ফুৰিছেগৈ, কোনে জানে? আমাৰ অসমীয়া এটা যোৱা হলে, ইমান বেলি কেতিয়াও নহ'লহেঁতেন। (বাটলৈ বেঙামেলি

চাই) অ, দেউতাই ৰবকৈ ভাবিব নালাগে আৰু, সোৱা, ওলাইছেহি।

(৪টা কুলীৰে সৈতে মণ্ডল, গাওঁবুঢ়া, চিপাহীৰ প্ৰৱেশ)

মাণিক।—(খণ্ডেৰে) হেঁইৱাও বদ্‌মাচ্, কাহে এট্‌না ডেৰি হোৱা? তোমাৰা মতলব হাম্ জান্তাহেঁই।

চিপাহী।—নাহি হজুৰ, হামাৰা কুছ্ কচুৰ নাহিহেঁই; চব্ এ দুনো বদ্‌মাচ্‌চে হোতাহেঁই। (বাপুলৈ আঙুলিয়াই) পহিলা হাম্‌লোক্‌কা চাৰঠো আড্‌মি পুৰা হো গিয়াৰাহা; লেকিন, এহি মণ্ডল আপ্‌না খুচিছে একঠো ছোৰ্ দিয়াহেঁই। আওৰ একঠো (কচুখোৱালৈ আঙুলিয়াই) ওহি গাওঁবুঢ়া মতলবচে ভাগ্‌নে দিয়া হাঁাই। ইচোৱাষ্টে এট্‌না ডেৰি হো গিয়া।

মাণিক।—(বাপু আৰু কচুখোৱালৈ চাই) মই তহঁতৰ ফিকিৰ আগৰেপৰা জানোঁ। তহঁতকো জোখাকৈ এশিকা নিদিলে নহয়। হেৰ, চন্তৰি, ইহঁত দুইকো আটক কৰি ৰাখ, বেলি ভাটী দিলেহে এৰি দিবি।

কচু -(কাওবাওকৈ) ডাঙৰীয়া, মোৰ ফালে কাণ কৰকচোন। সঁচাকৈ—

মাণিক।—চুপ্, তোৰ মুখ বন্ধ কৰ। মোৰ এতিয়া গোচৰ শুনিবৰ সময় নহয়।

(দুইকো দুটা চিপাহীয়ে ধৰি লৈ যায়)

ভোগ।—(মাণিকক) ডাঙৰীয়া, চাওকচোন, ইহঁত দুয়ো আখেজৰ ওপৰত মোক নো কুলী ধৰি আনিব পায় নে? মই কেনে ঘৰৰ ল'ৰা ডাঙৰীয়াই জানেই; মই নো কেতিয়াবা কুলী খাটিছিলোঁ নে? ইহঁতে নো মোক এনে অপমান দিব পায় নে?

মাণিক।—(মুখ বিদৰাই) থৈ দিয়াঁ তোমাৰ মান-অপমানখন! কুলী হবৰ বেলিকা আটাইবিলাক ভাল মানুহ ওলায়। পিচে, তোক এৰি মোক কুলী যাবলৈ দিছ নে?

ভোগ।—কপাল! আপুনিও এনে অবুজন হ'ল! কিন্তু, নেদেখাজনে—

মাণিক।—চুপ্, তোৰ মুখ বন্ধ কৰ। নহলে, কলমাৰিৰ খুন্দাত দাঁত এটাও নাথাকে।

১ম কুলী।—দেউতা-ঈশ্বৰ! বন্দীক আৰু মৰিয়াই মাৰিলেই ভাল আছে। কানীয়া মানুহ, নিগমে মৰিলোঁ দেউতা-ঈশ্বৰ! কানি খাবৰো পৰ হ'ল, বন্দীক কিৰ্পা কৰোক দেউতা! (দীঘলকৈ হামি মাৰে)

মাণিক।—বাৰু, ৰবাঁ, অ, ককাই! সৰহ পৰ নাই; ভালকৈয়ে কানি খাবাঁ! চাহাবে থৈছে তোমালৈ কানি!

৪র্থ কুলী।—(মাণিকৰ ওচৰ চাপি ফুচ্‌ফুচাই) ডাঙৰীয়াই সিদিনা বিচাৰি পঠিওৱা বস্তু বন্দীয়ে ঠিক কৰি থৈছোঁ। আজি আনিম বুলি ওলাওঁতেই এইখন আপদে পালে!

মাণিক।—(অলপ গমি) হেৰ বিহুগুটী, তই মোৰ তালৈ যাচোন; তাতে, চিপাহীয়ে দেখুৱাই দিব, অলপ চৰ্কাৰী কাম আছে কৰগৈ যা। তোক, মই যাওঁতে, লগতেই চাহাবৰ বঙলালৈ লৈ যাম, যা। (আনে মুগুনাকৈ) তই তাৰেপৰা গুচি যাগৈ, আৰু সেই বস্তুটো লৈ আহগৈ, যা।

৪র্থ কুলী।—ভাল, ডাঙৰীয়া!

(প্ৰস্থান)

(আৰ্দ্দলিৰ প্ৰৱেশ)

মাণিক।—অ, কি হে, আৰ্দ্দলি ককাই?

আৰ্দ্দলি।—বাবু! চাহাবে পঠিয়াইছে। বোলে, কুলী আহি পালে যদি, সোনকালে পঠিয়াই দিয়ক।

মাণিক।—এৰা, এয়া, কুলী ঠিক হৈছে। পুৱাৰেপৰা কত যতনেৰে হে গোট খুৱাইছোঁ। চাহাবে লগত মাল কিমান লৈছে? এই কেইটা কুলীয়েই নহ'ব নে?

আৰ্দ্দলি।—মাল সৰহ নহয়। কুলী তিনটামানেই বলে পাৰিব।

মাণিক।—ভালেই হ'ল। মই আকৌ ইমানে নহ'ব বুলি, আৰু গোটাচাৰেক আনিবলৈ পঠিয়াইছিলোঁ।

সেই হে পলম হৈছিল। আৰ্দ্দলি, তুমি এই কেইটাকে লৈ আগবাঢ়া; ময়ো পাচতে গৈছোঁ।

ভোগ।—ডাঙৰীয়া! সেই, ঘৰলৈ যোৱাটোৰ সলনি মোকে ৰাখিলেও, মই এনে অপমানৰপৰা ৰইথা পাওঁ! ডাঙৰীয়া, অলপ কিৰ্পা—

মাণিক।—তই চুপ্ থাক্। আৰ্দ্দলি, ইয়াক মুৰ্গীৰ ভাৰখন দি নিবাগৈ, তেহে ইয়াৰ মান-মৰ্য্যাত সোপাই ৰক্ষা পৰিব! মই যাওঁ, ওলাওঁগৈ; তোমালোকো যোৱাঁহঁক।

(সকলোৰে প্ৰস্থান)

প্ৰথম অঙ্কপাত

দ্বিতীয় অঙ্ক

প্ৰথম পট,—ভোগমনৰ মাৰল-ঘৰ

(ৰংদৈয়ে গুণ্‌গুণ্‌কৈ আই-নাম গাই সূতা কাটি বহি আছে; ভোগমনে প্ৰৱেশ কৰি ওচৰতে মূৰে-কপালে হাত দি বহেহি)

ৰংদৈ।—(ঘূৰি চাই ভোগমনক দেখা পাই আচৰিত ভাৱে) এ, আই! ইটোৰ বা হ'ল কি? আঁঠুৰ ওপৰত চাং পাতি দেখোন মূৰ ঘূৰাই বহি আছেহি কেতিয়াবাৰেপৰা!

ভোগ।—(দীঘলকৈ হুমুনিয়া কাঢ়ি) শুনিছ নে, মোৰ জীৱনত আৰু সকাম নাই! মোৰ আৰু সংসাৰত ৰাপ্ নাইকিয়া হ'ল! মোৰ দেহ-চিত্ এনেহে লাগিছে, যেন আজিয়েই দেশ এৰি বিদেশলৈ গুচি যামগৈ! পিচে, কি কৰিম, ঈশ্বৰে মোক নিকুটুমীয়া কৰিলে; তোলৈ আৰু ছোৱালীটিলৈ চাই হে আজিও মই বান্ধ্ খাই আছোঁ।— তইঁতক কাৰোবাৰ হাতত গতাব পৰা হ'লে, মই মুকলি-মূৰীয়া চৰাইৰ দৰে ক'ৰবালৈ উৰি গুচি গলোঁগৈহঁতেন!

ৰংদৈ।—(চিয়ঁৰ মাৰি উঠি) দেহি ঐ, মোৰ শৰীল ঐ, কাক নো এনে কথা শুনাৱ ঐ! (চকুত হাত দি কান্দে)

(জেতুকী লৰি আহি প্ৰৱেশ)

জেতুকী।—(কান্দো কান্দো হৈ) আই, তোৰ কি হ'ল? তই কিয় কান্দিছ, হুঁ? বুপাই, তই আইক মাৰিলি নে কি? ওঁ-ওঁ—কেলৈ মাৰিলি? (কান্দে)

ভোগ।—(জেতুকীক কোলাত তুলি লৈ) আই, মই মাৰক নাই মৰা, আন কিবা বেজাৰত হে কান্দিছে। (ৰংদৈৰ হাতত ধৰি) আইটীৰ মাক, নেকান্দিবি; কান্দি নো কি কৰিবি? মই মনৰ বেজাৰত হে তেনেকৈ কৈছিলোঁ; তইঁতক এৰি নো মই কলৈ যাব পাৰোঁ? (টলকা মাৰি বৈ) আৰু, শুনিছ নে, সেইদিনা দুপৰীয়া লঘোনত থেকাৰথোৱা চিপাহীটোৱে বলেৰে যেতিয়া মোৰ কানত কুকুৰাৰ ভাৰখন তুলি দিছিল, সেই খেনৰ কথা মনত পৰিলে, এতিয়াও মোৰ বুকুখন দুফাল হয় যেন লাগে! লাজ-অপমানৰ কথা এৰিছোঁ; মই নো কিমান ভাৰ বব পাৰোঁ দেখিছই নহয়। সেই কুকুৰাৰ মেট্‌মৰা ভাৰখনে সেইদিনা মোৰ কলিজা ভাঙিবৰ নিচিনা কৰিলে!

ৰংদৈ।—(বলেৰে ধৈৰ্য্য ধৰি) দেহি ঐ, কিনো কৰিম! কপালৰ লেখা কেনেকৈ গুচাম! তেও বুলি ইয়াৰ নো এটা উপায় কৰিব নোৱাৰি নে?

ভোগ।—জানো, কি উপায় কৰ। কিবা জান যদি কৰি থাক; মই হলে নিৰুপায়!

ৰংদৈ।—বিবুধি হ'ব নেলাগে। বাৰু, মই ইয়াৰ বুধি উলিয়াম।

ভোগ।—(ৰংমুৱা হৈ) পাৰিলেও পাৰিব পাৰ। লোকে কোৱা শুনিছোঁ, বোলে, মাইকী মন্ত্ৰী।

ৰংদৈ।—মোৰ মনেৰে যি গাওঁবুঢ়াই আমাৰ এনে বিলাই কৰিছে, তাৰ বিষইখনকে লবলৈ কাৰবাৰ কৰা হওকচোন।

ভোগ।—সেইটো হলে তো এনে আপদৰপৰা ৰইথাকে

টেটোন-তামুলি

পাতনি

'টেটোন তামুলি'ৰ বিষয়ে অসমীয়া ৰাইজে আগৰেপৰা ভালকৈ জানে। এই বিষয়ে একেৰিমান বঢ়াই কবলৈ গলেও অতিৰঞ্জিত হোৱাৰ হে ভয়। গতিকে, ৰাইজৰ মূলবস্তুত কোনো লৰচৰ নঘটাই, তাক নাটমন্দিৰত উলিয়াব পৰাকৈ সজোৱা হ'ল মাথোন। কিন্তু, লিখকৰ কাল্পনিক সাজপাৰে যে মূলচিত্ৰৰ আচল জেউতিত অলপ হীন-ডেঢ়ি ঘটাইছে, সেইটো তেওঁ স্বীকাৰ কৰে; আৰু সেইবাবে ৰাইজৰ ওচৰত তেওঁ ত্ৰুটী মাৰ্জ্জনা বিচাৰে।

'টেটোন'ৰ চিত্ৰ সুবিধাকৈ তিনি ছোৱাত ভগাই, তাৰে এই আদিছোৱা আগধৰি আগবঢ়োৱা হৈছে; সময় আৰু ছেগ পালে, মাজ আৰু শেহ ছোৱা পাচত উলিয়াবলৈ বাঞ্ছা থাকিল। কিন্তু, অসমীয়া 'ষ্টেজ'ত ধেমেলীয়া নাটকৰ বৰ্ত্তমান যেনে অভাৱ, তালৈ চাই, এই লিখকে সেই সময় আৰু ছেগ পোৱাৰ আগেয়ে যদি কোনোবা সুলিখকে বাকী দোছোৱা হাতত লয়, তেন্তে সি অতিশয় আনন্দৰ বিষয় হ'ব। ইতি—

তেজপুৰ, অসম	বিনীত
১৭ আহিন, ১৮৩১ শক	শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

দ্বিতীয় তাঙৰণৰ কথা

এইবাৰ আগৰ তাঙৰণৰ ছপা-ভুল আৰু বৰ্ণাশুদ্ধি আসোঁৱাহ পাৰ্য্যমানে শোধন কৰা হৈছে; আৰু নাট-মন্দিৰৰ সুবিধা বঢ়াবৰ অভিপ্ৰায়ে নাটৰ গোটাদিয়েক দৃশ্যৰ যৎসামান্য লৰচৰ কৰি, গোটাদিয়েক নতুন দৃশ্য লগাই দিয়া গৈছে।

তেজপুৰ, অসম	গ্ৰন্থকাৰ
ভাদ, ১৮৬২ শক	

টেটোন-তামুলি

আদিছোঁৱা

প্ৰথম অঙ্ক

প্ৰথম পট

মনাইৰ পদূলি

টেটোন।—(অকলশৰে ইফাল-সিফালকৈ টহলি) আহক বাইটী মাছৰপৰা আজি। মই, বাপেকে, এইখিনিতে থালৈৰপৰা পোনেই বৰকাৰৈ এটা আৰু মৰঠী-পুঠী এজনী লৈ, বেলেগে খৰিকাত দিমগৈ। বোপাই পথাৰৰপৰা আহি নৌ পাওঁতেই, বাপেকে, খৰিকা-দিয়া পেট পাৰগৈ। আকৌ, আইৰপৰাও আগ্ৰাত দিয়াৰো ভাগ লম নহয়, মই বাপেকে। আহক আজি; জাকৈয়া নাহেমানে মৰ্য়ো পদূলিমূৰৰপৰা নাতৰৌ নহয়। (অলপ পৰ টলকা মাৰি ৰৈ) অ, ভাল মনত পৰিছে! আজি ভিনীহিকো মাতি পঠিয়াইছে নহয়। সেইটো আহি পালে, আমাৰ কাৰৈ মাছৰ যূৰ চোবোৱাটি হৈছে আৰু! আইৰ আৰু বোপাইৰ আকৌ তালৈহে ধাউতি। জোঁৱাই-ল'ৰা আহিব বুলিলেইচোন দুইৰো গাত ততেই নাইকিয়া হয়। আজি, বাৰু, আহক বাপেকে, দেখিম মৰ্য়ো।

(ধনাইৰ প্ৰৱেশ)

টেটোন।—আও! ভিনীহি, তুমি বহুত দিন জীৱাঁ দেও!

ধনাই।—হেৰ, কি হ'ল অ? কোন্‌খন মঙ্গলত নো পালি, মই বহুত দিন জীম বুলি?

টেটোন।—এ, মঙ্গল নহয়, ভিনীহি, মানুহৰ নাম লওঁতেই ওলালেহি হেনো তাৰ আয়ুস্ বাঢ়ে।

ধনাই।—অ, তই তেন্তে মোক চৰ্চ্চি হে আছিলি হ'বলা?

টেটোন।—সঁচা, তোমাক লৈয়ে নিতৌ মোৰ চৰ্চ্চা বাঢ়িছে হওঁতে।—ঘাইকৈ আজি,—এইবেলা।

ধনাই।—তোৰ নো কি ভাগৰ ভাতগাল খালোঁ অ, তাকে যে চৰ্চ্চি থাক?

টেটোন।—এ, ভাগৰ ভাত হে বুলিছাঁ, তাৰ লগতে মাছ-কেটাও যে! ভাততকৈ মাছৰটো ভাবনা হে আগ হৈছে।

ধনাই।—বাৰু, তোৰ ভাত-মাছ খোৱা কাথাখন থ এতিয়া। কচোন, বাপেৰ কলৈ গ'ল?

টেটোন।—(আপোনা-আপুনি) আও! "বাপেৰ! শহুৰ বুলিবলৈ 'বৰ মানুহৰ বেটাৰ' লাজ লাগে! বাৰু, শিকাম বাপেৰে মৰ্য়ো, ৰবি। (ফুটাই) এ, ভিনীহি বোপাই পতাল ছিৰি তলৰ মাটি ওপৰ কৰিবলৈ গৈছে।

ধনাই।—(আপোনা-আপুনি) উঃ, কটা, ভাল কথা সুধিলে আকৌ ই পেংলাই হে কৰে! (ফুটাই) বাৰু, বাপেৰৰ কথা বুজিলোঁ; হেৰ, মাৰ গল কলৈ?

টেটোন।—(ভোৰভোৰাই) উস্! শাহু বুলিবলৈকো লাজ! মোৰ আইক শাহু বুলিলে ই ৰজাৰ কোঁৱৰটো সৰু হ'ব! বাৰু, চাম বাপেৰে মৰ্য়ো, কিমান উধাব পাৰ। (ফুটাই) এৰা, ভিনীহি, আইও নাই। আই সাদিনীয়া পঁইতা খুৱাই মৰা জীয়াবলৈ গৈছে।

ধনাই।—(আপোনা-আপুনি) ঐ কটা, ল'ৰাটোৰ ভেজু-চালিখন বাঢ়ি হে গৈছে! (ফুটাই) হেৰ, বায়েৰো নাই হ'বলা ঘৰত?

টেটোন।—(ভোৰভোৰাই) বাৰু, অলপ শাম কাটিছে। (ফুটাই) নাই, ভিনীহি, বাইটীও নাই ঘৰত। বাইটী সাগৰ চালি মাণিক তুলিবলৈ গৈছে।

ধনাই।—(আপোনা-আপুনি) ই কটা বৰ আধাকটা

ল'ৰা! ভাল কথা সুধিলে সি পেংলাই হে কৰে! বাৰু, ৰবি, ময়ো চুঙা চাই সোপা দি থওঁ। (ফুটাই) হেৰ, বাপেৰ আহিলে কবি, বুলি, ভিনীহি আহিছিল, কাণমাৰিলৈ তহঁতৰ বৰ চঁপা গছজোপা কাটি নিবলৈ; পিচে, ঘৰত মানুহ নেপাই উলটি গ'ল।

টেটোন।—(ভোৰভোৰাই) আও! ম'হৰ শিঙত কঁকিলা-দাৰ্! এওঁৰ বুধিৰ ল'ৰাটো অমুকাই লগ নেপামগৈ যেন ভাবিছে! আৰু, হেনো ঘৰত মানুহ নেপাই হে এওঁ এতিয়া ওলটে! আমি এওঁৰ মানত মানুহেই নহওঁ! বাৰু, ৰবি, বাপেৰে, মানুহ নে গৰু দেখুৱাম। (ফুটাই) এ, ভিনীহি, চঁপাগছৰ আশাটি এৰিলেই ভাল। আমাৰ দাঁত-খৰিকা কৰিবলৈ বুলি সেই জোপা গছ বোপায়ে মোক কালিয়েই কাটিবলৈ কৈ থৈছে। পিচে, মোৰ নলীয়া কটাৰীখন ধৰাই লবলৈ শিল পোৱা নাই দেখি হে আজিও কাটিব পৰা নাই; পৰ্ব্বতলৈ শিল বিচাৰি যাওঁ বুলি হে ভাবিছোঁ।

ধনাই।—(আপোনা-আপুনি) উঃ কটা! ই শুদাশুদি ল'ৰা নহয়। ইয়াৰে সৈতে উত্তৰা-উত্তৰি কৰিবলৈ গলে আৰু লাজ হে পাব লাগিব। (খং দেখুৱাই) হেৰ, বান্দৰ! তোৰে সৈতে মই চুপতি কৰিবলৈ অহা নাই, জানিছ। কটা, কুকুৰ, ল'ৰাই লাই পাই গললৈকে জঁপিয়াব দেখোন!

(উচাৎ মাৰি ধনাই গুচি যায়)

টেটোন।—(কাষলতি বজাই জঁপিয়ায়) আয়ুস্, আয়ুস্, এতিয়া হে মোৰ গাটি শুত্ লাগিছে। আজি এইপাটক এই দৰে নেদেখা হলে, মোৰ ফালে মৰঠী-পুঠী খৰিকাত দিয়াটি হৈছিল আৰু! (ভিনীহিয়েক-লৈ চাই চাই) যোৱাঁগৈ, বেগাই যোৱাঁগৈ। ঘৰত চাগৈ ৰোহপাটীখনে বিৰহত বিনাব লাগিছে!

(মনাইৰ প্ৰৱেশ)

মনাই।—কি, অ, আপুটি, কি হ'ল? আজিচোন তোৰ মনত বৰ ৰং?

টেটোন।—এৰা, ভিনীহিৰ খংচাটু দেখি!

মনাই।—কি! ভিনীহিয়েৰ আহি গ'ল নে কি?

টেটোন।—ওঁ, সৌটো নহয়, ভিৰাই বেগ্ ধৰিছে ঘৰলৈ।

মনাই।—কিয়? কিয়?

টেটোন।—কিয়?—পৰ্ব্বতখন যে থিয়।

মনাই।—এ, দুপৰীয়া খং তুলি নলবি দেই ল'ৰাই। কি হৈছিল ভাঙ্গি নকৱ কিয়?

টেটোন।—ভাঙ্গিম কেনেকৈ আকৌ? হাতেৰে ধৰিব পৰা বস্তু হ'লে হে ভাঙ্গিব পাৰোঁ!

মনাই।—কটা, মই কি ওভত্-গোৰৰ ল'ৰাটো পালোঁ! এনে ল'ৰা হোৱাতকৈ নোহোৱাই ভাল। হেৰ, বোলোঁ, মোৰ কথা কিবা কৈছিল নে ভিনীহিয়েৰে?

টেটোন।—ওঁ, কৈছিল তো। সমস্তত নাকটি ছিঙ্গি কৈছিল, বোলে "বাপেৰ কলৈ গ'ল?"

মনাই।—পিচে?—তই কি সমিধান দিলি?

টেটোন।—পিচে, ময়ো দিলোঁ তাক দান চাই সমিধান যি দিব লাগে।

মনাই।—কটা, গৰু! দান নহ'লে হে সমিধান দিয়ে। তই নো কি দান পাইছিলি?—তোক পালে কিহে আজি!

টেটোন।—পাব লাগিছে কিহে আৰু, ওভোত্গোৰৰ বুলিছাই নহয়।

মনাই।—হেৰ, ভিনীহিয়েৰে বাপেৰ কলৈ গ'ল বুলি সোধোঁতে তই কি বুলি কলি?

টেটোন।—কলোঁ বোলোঁ, বোপাই পতাল ছিৰি তলৰ মাটি ওপৰ কৰিবলৈ গৈছে।

মনাই।—দেখিছোঁ বাৰু এতিয়া!

টেটোন।—বোলোঁ, দেখিবলগীয়া বস্তু নহয়, কথা হে। ভিনীহিক কোৱা কথা মিছা জানো? তুমি হাল বাবলৈ নাই যোৱা জানো?

মনাই।—বাৰু, আন কাৰো কথা সোধা নাই নে?

টেটোন।—কিয় নাই সোধা? আইৰ কথাও সুধিছিল, বাইটীৰ কথাও সুধিছিল।

মনাই।—তই পিচে কি কলি?

টেটোন।—মই সঁচা সঁচা কথা কলোঁ।

মনাই।—হেৰ, কি সঁচা কথা কলি ?

টেটোন।—কলোঁ, বোলোঁ, আই সাদিনীয়া পঁইতা খুৱাই মৰা জীয়াবলৈ গৈছে; আৰু বাইটী সাগৰ চালি মাণিক তুলিবলৈ গৈছে।

মনাই।—বাৰু, চোৰাঁ এতিয়া!

টেটোন।—বোলোঁ চাবলগীয়া বস্তু নহয়, কথাহে। আই ভুই ৰুবলৈ আৰু বাইটী জকাই বাবলৈ যোৱা নাই জানো ?

মনাই।—বন্দী, বাঘৰ বুকুত যোৱা, আৰু কিবা সুধিছিল নে ?—তোক আজি ধুন্ দেখুৱাম বাপেৰে!

টেটোন।—আজিয়েই বা কালিয়েই। কি ধুন্ দেখুৱাবাঁ। যি হৈছিল তাকে হে কৈছোঁ। সঁচা কথা কলে খং উঠে যদি নকওঁ, কি আছে!

মনাই।—উঃ, উপায় নাই ইয়াৰপৰা! বাৰু ক, আৰু কি হৈছিল কৈ যা।

টেটোন।—আৰু, ভিনীহিয়ে কৈছিল, বোলে, বাপেৰ আহিলে কবি, তইতৰ বৰ চঁপাগছজোপা কাণমাৰিবলৈ কাটি নিবলৈ আহিছিলোঁ, পিচে,—

মনাই।—(হাঁহি মাৰি) পিচে, তই কি কলি ?

টেটোন।—মই কলোঁ, বোলোঁ, সিটি আশা এৰি দিয়াঁ ভিনীহি, আমাৰ দাঁত-খৰিকা কৰিবলৈ সেইজোপা গছ মই কাটোঁ কাটোঁকৈ হে আছোঁ।

মনাই।—(আপোনা-আপুনি) ইয়াৰ আটাইবোৰ পাক-লগা কথা! (ফুটাই) তাৰ পিচে ?

টেটোন।—তাৰ পিচে, ভিনীহি দেখোন উচাৎ মাৰি গুচি গৈছেগৈ!

মনাই।—অ, কটা, ল'ৰাই ইমান অতপালি কৰ! বাপুৰে, ভিনীহিক এসাঁজ খুৱাবলৈ বুলি মাতি আনিছে, ভালকৈ মাতি-বুলি বহিবলৈ দিওঁ, সেইটো নাই, সি পেংলাই কৰি খেদি হে দিলে! কটা, এনে আপদীয়া ল'ৰা কেলেই লাগিছে! তই এতিয়াই মোৰ ঘৰৰ-পৰা ওলাই যা। নহ'লে এই হালোৱা এছাৰিৰ কোবত তোৰ ধাতু উকৰাম আজি!

টেটোন।—বাৰু, মোৰ ধাতুটো উকৰাই তোমাৰটো ধাতু পাচত উকৰাবলৈ বৰ নেলাগে! আমি বাৰু আপোন মনেৰেই ওলাই যাওঁ। তুমি জী-জোৱাঁই লৈয়ে থাকাঁ। ওলাই নগলে মোৰ কল্যাণ নাই বুলি ময়ো জানি লৈছোঁ। যাওঁ, কাৰোবাৰ জীৱ লগত মোৰো জোৱাঁই-যোৰা মিলিলে মিলিব পাৰে।

(গা কেহেলিয়াই কেহেলিয়াই টেটোনৰ প্ৰস্থান)

মনাই।—ভাল কৰিলে বন্দী বাঘেথোৱাই! ভিনীহিয়েকে চাগৈ বেজাৰ পাই হে গৈছে। যেনেবোৰ হে ভেঙুচালিৰ কথা শুনিলোঁ, কাৰ নো বাৰু খং নুঠিব! কি কৰিম, এই ওভত-গোৰে নচা ল'ৰাটোৰপৰা মই নিৰুপায়। যাওক সি, ক'ত মৰে মৰকগৈ। মই যাওঁ, ভিনীহিয়েকক বৰাই-বুজাই আকৌ মাতি আনোগৈ, যাওঁ। (প্ৰস্থান)

দ্বিতীয় পট

চম্পাৱতীৰ ফুলনি

(চম্পাৱতীয়ে ফুলনিৰ ফুল তুলি লৈ, মালা গাঁথিবলৈ বহি, গুণ্ গুণ্কৈ বিয়া-নাম গায়)

*   *   *

পুখুৰীৰে চউপাশে খাগৰিৰে বেৰা,
ৰাম ৰাম খাগৰিৰে বেৰা।
দলি মাৰি পেলাই দিছে স্ফটিকৰে মালা,
ৰাম ৰাম স্ফটিকৰে মালা॥

*   *   *

পুখুৰীৰে চউপাশে মৃগপহু চৰে,
ৰাম ৰাম মৃগপহু চৰে।
তাকে দেখি ৰামচন্দ্ৰে শৰ-ধনু ধৰে,
ৰাম ৰাম শৰ-ধনু ধৰে॥

(ৰংদৈৰ প্ৰৱেশ)

ৰংদৈ।—এ, আই, আইদেৱেচোন অকলে অকলেই বিয়াখন পাতিছে! মই তেও আঁৰে-আঁৰে শুনি হে আছিলোঁ। পিচে, নামৰ মূৰৰ ফাঁকিকেচোন এৰিলে!

চম্পা।—মোৰ মনত নাই অ, ৰংদৈ! মূৰৰ ফাঁকি নো কি আছিল ?

[illegible]।—এই ফাকি আছিল, শুনক—

আগত দিয়া পাচত দিয়া পাক আয়তীয়ে,
ৰাম ৰাম পাক আয়তীয়ে।
দুৰ্ব্বা ঘাটৰ পানী তোলে যশোদা সুন্দৰী,
ৰাম ৰাম যশোদা সুন্দৰী॥

চম্পা।—তোৰো ভাল মনত থাকে, ৰংদৈ!

ৰংদৈ।—মনত নাথাকিব কিয়, মই আওৰাই থৈছোঁ নহয়।

চম্পা।—কেলৈ নো আওৰাই থৈছ?

ৰংদৈ।—কেলৈ?—বিয়ালৈ।

চম্পা।—কাৰ বিয়ালৈ অ, ৰংদৈ?

ৰংদৈ।—মই যাৰে বান্দী, তাৰে বিয়ালৈ।

চম্পা।—হেঁই এই জনি!—গুচ্ ইয়াৰপৰা।

ৰংদৈ।—আও! নামৰ ভাগ ললেও দায় লাগে নে? নেলাগে বাৰু নামৰ ভাগ, যোজোনা এটাকে দি থওঁ,—"বাঁহৰ আগত বগলী নাচে, আমাৰ আইদেউৰ বিয়ালৈ এদিন-এবেলা আছে।"

চম্পা।—এই লেবীজনীয়ে কিথন বলকে! থাক্ তই তোৰ যোজোনা লৈ। (চাঁত্‌কৰে আঁতৰি গুচি যায়)

ৰংদৈ।—এ, আই, ৰং কৰোঁতে খঙেই উঠিল হ'বলা। যাওঁচোন, আকৌ ৰং লগাবলৈ চাওঁগৈ। (প্ৰস্থান)।

তৃতীয় পট

ধনাইৰ আগচোতাল

ধনাই।—(অকলে) উঃ কটা, ল'ৰাটোৰ ভেঙ্গচালিখন! কটা, ওঁঠ চেপিলে গাখীৰ ওলোৱা কালিৰ ফুকলীয়া লৰাটোৰ কেনে আঁহে আঁহে কথা! নহব নো কেলেই,—যেনে বাপেকি, তেনে পোৱালি! বাপেকপাটো সেই, বাপেকৰ চালত হে পিতেক চলে। মোক মাতি নি এই দৰে লঘূ কৰাটো বাপেকৰ বুধি নহলে নো ফুকলীয়া ল'ৰাই ইমানবোৰ কথা ঢুকি পায় নে? আৰু, মাকজনীও হ'ব পায় সেই একে গছৰে পাণ। জীয়েকতে তাৰ পৰিমাণ পাইছোঁ নহয়। সেই দিনা দুপৰীয়া পথাৰৰপৰা আহি থকা-খুন্দাকৈ শুদা ভাতগাহাঁ গিলোঁতে টেঁটুত লাগি মৰোঁ আৰু! তথাপি তাই জানো কৈ দিলে, পানী এঢোকা পি দিয়া বুলি। সেই হে কয়, বোলে, "টিক্ বলধা, ওলাই মাটি; মাক ভালে হে জীয়েক জাতি।" মই যেনিবা মুগুনি-নেমেলি তাল কলগ্ৰহটো চপাই ললোঁ!

(মনাইৰ প্ৰবেশ)

মনাই।—(আঁতৰৰপৰা) এঃ দেহি! ল'ৰাটিয়ে বৰ বেজাৰ পাই আছিল! বেজাৰ পাবৰ কথাও হয়, বাঘেখোৱা ল'ৰাটোৰ কথাত মোৰে খং-বেজাৰ গৈ মূৰত উঠিছিল। হেজাৰো হওক, পৰৰ ল'ৰা, পৰৰ তিতা মাত কেনেকৈ সহিব! সেইবোৰ বাৰু এৰিছোঁ এতিয়া, মই আগবাঢ়ি আহি কিন্তু ভাল কৰিলোঁ। নহলে, আকৌ উপ্‌যাচি আমাৰ ঘৰলৈ যাবলৈ ল'ৰাই বেয়া পালেহেঁতেন। এতিয়া মই মিঠামুখেৰে দু-আষাৰমান কলেই পাহৰি যাব আটাইবোৰ কথা। (ফুটাই) এ, বোপাই, ঘৰলৈ গৈ আকৌ গুচি আহিলি নো কিয়?

ধনাই।—(জলি উঠি) ঔ, কটা, বিটলিয়া সোলা! তই আকৌ কি চেলাবলৈ আহিছ? ঘৰলৈ মাতি নি, পিতেৰৰ হতুৱাই যি জলপান খুৱালি সেয়ে আটিছে, আকৌ বাপেৰটোও খেদি আহিছ ইয়ালৈকে নহয় নে? মই উলটি জলপান নৌ খুৱাওঁতেই ভালে ভালে আঁতৰি গুচি যা এতিয়াই।

মনাই।—এ, বোপাই, কিয়নো খং কৰ? সেইটো তোৰ ভায়েৰ নহয় জানো? নজনা ল'ৰাৰ কথাতে নো লাগিব লাগে নে?

ধনাই।—এৰা, নজনা ল'ৰা,—পানীকেঁচুৱা!

মনাই।—বাৰু, খুলশালিয়েৰ ল'ৰা নহয়, যেনিবা বুঢা; এতিয়া মোলৈ চাই তাৰ কথা এৰি পেলা বোপাই! বল, বল, শাহুৱেৰে বাটলৈ চাই হে আছে চাগৈ।

ধনাই।—আকৌ শাহুৰ কথা! জুইত ঘিঁউ ঢালি নলবি দেই এতিয়া।—জীয়েকতে পাইছোঁ শাহুটীৰ কথা! তইতৰ বাপেৰ চাই পিতেৰ, আৰু মাক চাই জীয়েক,

বজিতাখাই মিলিছে। বিধতাই একেখন শাঁচতে ভাল মাৰিলে তইঁত চাৰিওকো। যা, যা, জীসেৰ নে মাৰ সেই জনীক পঠিয়াই দেগৈ এতিয়াই। নহলে, মই যাবলৈ পালে, তাৰেপৰা চুলিত ধৰি চোঁচোৰাই আনিমগৈ।

মনাই।—এৰা, ভালক ভালে নেপায় নহয়।

ধনাই।—(জঁাপমাৰি উঠি) ঔ, কটা, লাপুং! ইমানতো আকৌ বোলে ইহে ভাল, মইহে বেয়া; হেৰ, গঁতাত মূৰ নৌ ছিঙ্গোতেই গুচি যা এতিয়াই ইয়াৰপৰা।

মনাই।—(আটিমুটি কৰি) অ, কটা, চল পাই কুকুৰে দেখোন গ'লনৈকে জঁপিয়ায়; চকুচাওতেই ইয়াতে তাও কৰিব পাৰোঁ বুলি জনা নাই নে?

ধনাই।—(চোঁচা লৈ) হয় নে লাপুং! তোৰ ইমানটো পিত্ নে? হেঁচা এটাৰ বহত নহবি হ'বলা।

মনাই।—কটা, গোলামৰ ল'ৰা, বন্দী কটা! খোপে খোপে চৰি হে গৈছ দেখোন! কটা, গছকি পেটু কাৰিব দিছ নে বাপেৰে? (খেদা মাৰি যায়)

ধনাই।—(চোঁচা লৈ) সঁচাই নে বন্দী, সোলা বান্দৰ! বৰকৈ অতপালি কৰচোন! (দুইৰো দবৰা-দবৰিত মনাই তলত পৰে)

মনাই।—(লৰালৰিকৈ উঠি) বাৰু, তই থাক, দেখুৱাম মই বাপেৰ কেনেটো! (উচাৎ মাৰি গুচি যায়)

ধনাই।—(মুখ বিদৰাই) বাৰু, যোৱাঁ, আমাক বৰশীত দিবাগৈ নি! তালৈকে অমুকাই ভয় কৰিছোঁ! (একে চাবে ভিতৰলৈ সোমাই যায়)

প্ৰথম অঙ্কপাত

দ্বিতীয় অঙ্ক

প্ৰথম পট,—ৰাজ-আলি

টেটোন।—(অকলশৰে বহি) অহ, আজি এই পৃথিৱীখনেই মোৰ ফুৰাচকাৰ ঠাই। গোটেই জগত্খনেই মোৰ বন্ধু। জোন, বেলি, তৰা, সকলোৱেই মোৰ সুখ-দুখ দেখোঁতা। ইমানত আৰু অমুকাৰ ভয় কি? বোপাইৰ বল নাপালেও, অমুকা তৰিব পাৰিব পায় দেখোন। কিন্তু, (অলপ পৰ টলকা মাৰি পেটৰ উমান্ লৈ) ওঁ-হুঁ-হুঁ, গতিক বিষম! মোৰ ভেমটো নৰজিবগৈ যেন পাইছোঁ। পুৱাৰ পঁইতা যে পেটতে পানী হলেই, বাটত খোৱা আঠীয়া কল আম্বিৰো বল নোপোৱাত পৰিছেগৈ। এতিয়া নো ক'ত কি পাওঁ, পেটৰ জুইকুৰা কিহেৰে নুমাওঁ! হওতে এই পেটাৰিটো লৈ হে লেঠা, নহলে অমুকাক পায় কোনে? (পেট মোহাৰে) এৰা, তাহানিৰ ফুল-কোঁৱৰৰ পিতেক নগৰা-জগৰাৰ দশা হে মিলিছে মোৰো। সিহঁতে দুখত আনন্দ কৰা শুনি হেনো মেনী ম'হে গাখীৰ পিয়াইছিল, শুকুলী হাতীয়ে পিঠিত তুলি লৈ ফুৰিছিল। মোলৈকো তেনে কোনোবা আছে বা? ময়োচোন সেই গটকে এবাৰ ধৰি চাওঁ।—কি বুলি? (অলপ ভাবে) এঃ, যি বুলি আহে, মাৰি দিওঁ, বাপেকে, সেই বুলিয়েই-

"অ, বোপায়ে খেদিলে দুপৰীয়া ভোকত,
আই নাছিলে ঘৰত।
অ, কোন্ ক'ত আছাইক এই জগতত,
এমুঠি দিয়াহি মুখত॥"

—সোৱা নহয়, বাপেকে, চাপিছেহি আমাৰো কোনোবা। পিঠিত তুলি নি খুৱাবগৈ এতিয়া। (মূৰে-কপালে হাত দি নিটাল মাৰে)

(দুটা চোৰৰ প্ৰৱেশ)

১ম চোৰ।—এঃ, গৃহস্তে সাৰ পায় বুলিহে ভয়! নহলে, মোৰ দৰে উমানত বস্ত বাছিব জানে কেইটাই?

২য় চোৰ।—এৰা, মোৰ হলে দুৱাৰ মেলোঁতেই গম্ পায় যেন লাগি যায়। অ, সিদিনা আকৌ, জানিছ, বৰচাওৰপৰা বোন্দাটো নামি অহা দেখিয়েই মানুহ বুলি বৰ ভয় খালোঁ ককাই! কিনো কম, দুদিনলৈকে মোৰ বুকুখনে ধানবনাদি বানি আছিল। সেই হে বোলোঁ, মোক আগ নকৰিবি, বাহিৰতে থবি; মুঠেই, ভাৰ লবৰ বেলিকা মোক বিচাৰিবি।

১ম চোৰ।—অ, ইয়ালৈকে মতাটো হৈ উপজিছিলি? ভয়ৰ গোট ইমানটো হলে ইমান ডাঙৰ কামলৈ ওলাবই নেলাগে! হেৰ, বুধি জানিলে ভয় নাই। শুন, আন একো নেপালে দুৱাৰ-চুকৰ গাঁথিত চালৰ কূটা গুজি লব লাগে; তেতিয়া আৰু দুৱাৰে কেৰ্-নেকেৰায়। মনত ৰাখিবি।

২য় চোৰ।—এৰা, এই দৰে বিদ্যাটো শিকাবি আকৌ, তেহে পাৰোঁ, এতিয়াৰপৰা চাবিচোন তেন্তে। আজি ৰাতিয়েই দেখিবিচোন।

১ম চোৰ।—সঁচা, হয়। মাকৰ পেটতে কোনেও শিকি নাহে। তই বাৰু মোৰ চালত চলিবিচোন, তোক মই মানুহ কৰি হে এৰিম। নিছয় বুজিবি।

টেটোন।—(আপোনা-আপুনি) এৰা, মোৰ মন্ত্ৰফাঁকিয়ে হাতে-হাতে গুণ দিলে। ইহঁতেই মোক দুখত আনন্দ কৰাব যেন পাইছোঁ। এতিয়া ইহঁতৰ লগৰ এটা হৈ লব পাৰিলেই কাম সাধিলোঁ;—আন নহলেও তেও মোৰ পেটজনাৰ জঞ্জালটো ভাঙ্গিব পৰা হ'ব। কিন্তু, এই ফেৰাই মেনী ম'হৰ গাখীৰৰ হে কাম দিব; শুকলী হাতীৰ পিঠিত উঠা সুখ ফেৰাওতো লাগে। বাৰু, দেখা যাওক, ক'ৰ পানী কলৈ যায়। আছে তাৰো উপায়! (কেঁকাই কেঁকাই) হে মোৰ কপাল! বোলে, দৰিদ্ৰ লঙ্কালৈ যায়, লঙ্কাত জুই লাগে!- ওঁ-হুঁ-হুঁ!

২য় চোৰ।—(উচাপ্ খাই) ঐ ককাই, এতিয়াহে মৰিলোঁ! এইটো মানুহ! কেনি পলাওঁ মই!

টেটোন।—অ, নেলাগে পলাব, মই হে। বোলোঁ, এৰি নগলে লগ ধৰিব হে খোজোঁ।

১ম চোৰ।—হেৰ, ই ধৰে হেনোও!

টেটোন। —ভয় নাই। লগ হে ধৰিব খুজিছোঁ।

১ম চোৰ।—কিনো কয় অ! ই আমাক চোৰ বুলি চিনিছে হ'বলা?

টেটোন।—অ, নিচিনিম নো কিয় হেৰা? সাপে হে সাপৰ ঠেং দেখে। সেই হে লগ ধৰিব খুজিছোঁ। ককাইহঁতঐ, যি ঘৰত হে সোমাইছিলোঁগৈ! কি হ'ব কলে! মই অকল দেখি হে! যি হে বস্তু বাজ কৰি লৈছিলোঁ। পিচে, কপাল! তাৰ কানত তুলি লওঁতেই কঁকাল-মোচোকা খালোঁ। কোনোমতে বগুৱাবাই আহি এইখিনিতে বহি আছোঁ।

২য় চোৰ।—কি কথা আছে, তাৰ লোৱাত মই আছোঁ নহয়। ককাইটি, নকৈছিলোঁ, বোলোঁ, তাৰ লববলৈকো এটা লাগে।

১ম চোৰ।—বাৰু, ৰবিচোন তই! এওঁৰে সৈতে সোধা-পোছা কৰি চাওঁ।

টেটোন।—সোধা-পোছাৰ সকাম নাই, আমি উঠিব হে লাগে। যাওঁ বলাঁহঁক। সৰহ দূৰৈ নহয়, সৌ ধাপ-মৰা বাৰীখনেই। বৰ চহকী মানুহ দেও সেই ঘৰ।

১ম চোৰ।—বেচ কথা। ভাল ছেগ মিলিছে। উঠাঁ তেন্তে।

টেটোন।—-এ, কওঁতেই কলা, বোলে, যঁতৰতে শলা। উঠিবলৈ নেদেখিছাঁ, চিপ্ মাৰি কঁকালটো লৰাবই পৰা নাই! উস, উস্, উস্!

২য় চোৰ।—পিচে?

টেটোন।—জানো, এতিয়া কাৰ পিঠি পাওঁ?

২য় চোৰ।- কি "পিঠি পাওঁ"?

১ম চোৰ।—এ, নহয় অ, অৰ্থাৎ তেওঁক বোকোচাত লব লাগে; —নহয় নে হে?

টেটোন।—হয়, ঠিক ধৰিলাঁ কথাটো। তোমাৰ বুধিটো বৰ চোকা।

২য় চোৰ।—কিয়, মই আছোঁ নহয়। কি কথা আছে, ময়ে লম বাৰু বোকোচাত।

১ম চোৰ।—বেচ কথা। সেইটো হ'ল বাৰু। পিচে, ভিতৰ সোমাব কোনটো?

টেটোন।—সেইটো মোকে ধৰি থোৱাঁচোন।

১ম চোৰ।—বাৰু, সোমাবাঁ তুমিয়েই। কিন্তু বস্তু বাছিব জানিবা জানো?

টেটোন।—সেইটো নজনাকৈয়ে নো চোৰৰ বৃত্তিটো মূৰত লৈছোঁ নে? তথাপি, শুনোচোন তোমাৰ বুধিটোও।

১ম চোৰ।—মই হলে কৰোঁ কি, এন্ধাৰত খপিয়াই পোৱা

বস্তবোৰ নিয়মীয়াকৈ বজাই চাওঁ। তেহে কেনে দৰৰ বস্ত বুজিব পাৰি।

টেটোন।—উঃ, ভাল মিলি গ'ল দেও কথাটো। ময়ো তাকে কৰোঁ।

২য় চোৰ।—নিমিলিব কেলেই, দুয়োজন পকা মানুহ।

টেটোন।---এৰা, এতিয়া আৰু পলম কৰাৰ সকাম নাই। ৰাতি ভালেখিনি হৈছে। উঠিব হে লাগে।

১ম চোৰ।—হয়, উঠিব হে লাগে।

টেটোন।—এৰা, উঠোঁৱা আকৌ?

২য় চোৰ।—(পিঠি পাতি) এয়া নহয়!

টেটোন।—মন্ত্ৰই গুণ দিছে বাপেকে! (ফূৰ্ত্তিৰে সৈতে বোকোচাত উঠে)।

(টেটোনক বোকোচাত লৈ তিনিওৰো প্ৰস্থান)

দ্বিতীয় পট

চহকী গৃহস্থৰ বৰঘৰ

গৃহস্থ।—(বৰঘৰৰ দুবাৰ কেইখন ভালকৈ মৰা হৈছে নে নাই পৰীক্ষা কৰি চায়) বোলে, হৰিণাৰ গাৰ মঙহেই শত্ৰু। মোৰো ধন-বস্তবোৰেই কাল হ'ল। এইবোৰ আৰ্জোতে যি দুখ পাইছিলোঁ, ৰাখোঁতে এতিয়া তাৰ ষাঠিগুণ দুখ পাইছোঁ। ই মোৰ শোৱন-খাৱন নাইকিয়া কৰিছে। ৰাতি চিল্‌মিল্‌কৈ টোপনি আহিলেও, মেকুৰী-নিগনিয়ে জৰ্‌জৰালেই কাণ-সাৰ দি শুনি থাকোঁ; বতাহত দুৱাৰে কেৰ্‌কেৰালেই উঠি আহি চাওঁ। সিদিন। ধনৰ পেৰাটো চোৰে নিবৰপৰা মোৰ দেহত তৰণি নাই। পিচদিনাই বাকীখিনি ধন কলহত ভৰাই নিজানে নিজানে নি বাৰীচুকত পুতি থলোঁগৈ। এই কথা কাকো কোৱা নাই; সিজনীকো কোৱা নাই। নকওঁ, বাৰ-চালৰো কাণ আছে! নোকোৱাকৈ মৰোঁ যদি, ধনগুলৈয়ে পাওক; তথাপি চোৰৰ বুকুত নিদিওঁ। (দুৱাৰ-ভাংকেইটা আকৌ এবাৰ হেঁচি টানকৈ মাৰি) কিমান নো পৰ্‌ দিম আৰু! শোৱাখোঁটালীৰপৰা।—আজি ৰাতিৰে-ৰাতিটো পহৰা দিয়ে থাকিব নে? শোৱাপাটীত নপৰোঁ বুলিয়েই লাগিছে নে কি?

গৃহস্থ।—এৰা, পাটীত পৰি নো লাভ কি! তাতো কাণেৰে পহৰা দিয়া হে!

শোঃ কোঃ পৰা।—তেন্তে, দিনত শুই ৰাতি পহৰা দিবলৈ নিয়ম কৰাই ভাল। এইদৰে টোপনি খতি কৰিলে গা নাঠাৱৰে নহয়।

গৃহস্থ।—হয়, নিয়মটো বেয়া নহয়। এতিয়াৰেপৰা তাকে হে কৰিব লাগিব। বাৰু, গৈছোঁ।

(দুৱাৰ-ঘৰ আকৌ চকুফুৰাই চাই প্ৰস্থান)

তৃতীয় পট

বৰঘৰৰ ভিতৰ

(শোৱা-কোঠাত চাকি এটি মিট্‌মিট্‌কৈ জ্বলি আছে; চোৰ দুটাই দুৱাৰ মেলি টেটোনক ভিতৰলৈ সুমাই দি চোৰাং চাই থাকে)

টেটোন।—(আন্ধাৰত বগুৱাবাই বস্ত বিচাৰে) আন বস্ত মোক নেলাগে; সান্দহৰ কলহ এটা বিচাৰি পালেই হয় এতিয়া। (খপিয়াই ফুৰি) অ, বহালোঁ বাপেকে, এইটো গুড়ৰ টেকেলিয়ে ধৰা দিছে! এতিয়া সান্দহৰ কলহটো লগ পালেই মোৰ গা ৰব বাপেকে। (খপিয়াই ফুৰে) এঃ নেপাওঁচোন! আও! এই ঘৰৰ গৃহস্থ বৰ কট্‌কিনা মানুহ দেও! পেট মাৰি পইচা সাঁচিছে! চহকী হ'বলৈ বৰ মন ঔ! বাৰু, অলপ ৰবি, চহকী কৰিম বাপেৰে! মোৰ পেটৰ জুইকুৰা সুমাই লবলৈ হে চাইছোঁ। (খপিয়াই ফুৰোঁতে এটা ভগা ঢোলত হাত পৰে) অ, এইবাৰ হে বাৰ, বহালোঁ বাপেকে! (লুটিয়াই বগৰাই হাত ফুৰাই চায়) এঃ, নহয় হ'বলা সান্দহৰ কলহ। কিনো এইটো ঔ? অ, ভাল কথা; লগৰীয়াই বজাই চাবলৈ শিকাইছিল নহয়। বাৰু, চাওঁচোন বজাই কিনো এইটো।

(ঢোলত চাপৰ ধৰে)

(ঢোলৰ মাত শুনি শোৱাচাঙ্গৰপৰা 'কোন্' বুলি গৃহস্থে আহি টেটোনক গৰা মাৰি ধৰে। ই দুটা চোৰে ভিৰাই ধৰি লৰ মাৰে)

গৃহস্থ।—হেৰ কটা, কোন্ তই ?

টেটোন।—কোন্ মই ! কিনো অকৰাও ! বোলে, 'হাতত পুথি, মঙ্গলবাৰ', সুধিব লাগিছে নে মই কোন্? মই ৰাতিফুৰা।

গৃহস্থ।—কটা বন্দী, তই চোৰ ?

টেটোন।—(ভোৰ্ভৰাই) আৰু নোহ কি বুলি ভাবিছিল! (ফুটাই) বোলোঁ, চকু নাই নে? এই মাৰ্জনিশা চোৰ নহৈ আলহী সোমাইছোঁহিনে? চোৰ নে আলহী চিনিবি পাচত, আগেয়ে মোক বাৰু সান্দহৰ কলহটো দেখুৱাই দেচোন।

গৃহস্থ।—অ, এইটোৱে কয় কি !

টেটোন।—ভাল কৈছোঁ। পেটৰ জঞ্জালটো বোলোঁ আগেয়ে মাৰি লওঁ, পাচতো তোমাৰে সৈতে মেল মাৰি থাকিম।

গৃহস্থ।—কটা, চোৰ বুলিলে ওৰ পৰে। ইয়াৰচোন মট্‌মট্‌নি বাঢ়িছে হে!

টেটোন।—বাৰু, মোক পাচেও ওৰ পেলাবাঁ। আগেয়ে ওৰ পেলাওঁ সান্দহৰ কলহ এটা, দেখুৱাই দিয়াঁ।

গৃহস্থ। কটা, এইটো কৰবাৰ বলিয়া মানুহ। ই সান্দহ-বলিয়া। বাৰু ৰজাক খুজি খাবিগৈ সান্দহ কাইলৈ। এতিয়া বান্ধি থওগৈ বল। (টেটোনৰ কঁকালত পঘা লগায়) বল, কটা, বল।

টেটোন।—বাৰু, বলোঁ। কিন্তু, কঁকালৰ বান্ধটো এফেৰি টানি দিয়াঁ। নহলে, কাছুটি খনে নৰও নৰওঁকৈ ওজৰ কৰিছে। কালিৰেপৰা মোৰ পেটত লখিমীৰ সঞ্চাৰ হোৱা নাই।

গৃহস্থ।—তোৰ কেল্‌কেলনি শুনি থাকিলে গা নৰয় আৰু। উঠ যদি উঠ, নহলে চোচৰাই নিম এতিয়া।

টেটোন।—বাৰু, উঠিছোঁ, বলোঁ। কিন্তু, মোৰ পেটজনাক পূজা এভাগি নিদিলে তোমাক পাপে চুব, জানিবা দেই। (প্ৰস্থান)

চতুৰ্থ পট

পথৰুৱা আলি

(কানত নাঙ্গল লৈ এটা হালোৱাৰ প্ৰবেশ)

হালোৱা।—(কানৰপৰা নাঙ্গল নমাই থৈ) হেৰ ৰঙা, সও সও। উঃ, দেখিছা এতিয়া, সি ঢাপলি হে ধৰিছে আকৌ! (উলটি চাই) অ, ভাল হ'ল এতিয়াহে! ইটোক খেদোঁতে সিটোও যায় সিফালে। (উলটি খেদা মাৰি) হেৰ, সও, বগা সও, সও। হাই-আই, নৰয়, দেখিছা বাৰু! যক বাঘৰ বুকত যোৱা গৰু কলৈ যায়, নেবাওঁ হাল! কি কৰিম, মই অকলে ইটোকে খেদিম নে সিটোকে খেদিম! (আঁঠুত বাহু পেলাই বহি) মই কানি-খোলাৰেপৰা নকৈছিলোঁ সিজনীক, বোলোঁ, সাঙোৰৰ পঘাৰ খান্দৰিত গুনঠিটো ভালকৈ সুমুৱাবি। গৰু চেঙ্গা বুলি তাই নেজানে জানো! ভাল ল! আজি ৰুবিহি দুই হাতে!

(কঁকালত ৰচা লগোৱা টেটোনক লৈ গৃহস্থৰ প্ৰৱেশ)

টেটোন।—ইজন বা কোন্? এওঁকো লগৰীয়া কৰি লোৱা হওকচোন ৰজাৰ আগলৈ।

হালোৱা। (আথেবেথে) হে দেউতাটি!

টেটোন। -কিবা হ'ল, বিধতাটি ?

হালোৱা। -মোক এফেৰি উপকাৰ কৰক দেউতাহে। ঈশ্বৰে হে মিলাইছে আপোনালোকক ইখিনি পৰত।

টেটোন।—ভাল, আমি সাজু আছোঁ। পৰৰ উপকাৰ কৰাটি আমাৰ পিতৃধৰ্ম। বাৰু, বাটতে ধৰম ফেৰি আৰ্জ্জি লওঁ। কি কৰিব লাগে কোৱাঁ মাথোন।

হালোৱা।- হে, দেউতা হে, লৰ মাৰি গৈ সৌ বাঘৰ বুকলৈ যোৱা গৰুটো মাৰ-এটা মাৰি ৰাখি দিয়াঁগৈ দেও হে। আৰু, ইগৰাকীয়ে ইটোলৈ খেদা এটা মাৰাঁ দেউতাহে।

গৃহস্থ।— অঃ, সেইটো হ'ব নোৱাৰে। মই এইটো চোৰ ধৰি ৰজাৰ আগলৈ আনিছোঁ। ইয়াক মই এৰি দিব নোৱাৰোঁ, ই মোৰ হাতত বন্দী।

টেটোন।—এ, মই বন্দী হে, তুমি যে আকৌ মোৰ লেজুত ধৰা বন্দীৰো বন্দী। বাৰু, তুমি এৰিব নোৱাৰা, থাকা। তোমাৰ তো ধৰমলৈ মতি নাই। আৰু, মোৰ পেটজনাক পূজা নিদি তুমি ঘৰতে পাপ লগাই আহিছাই। মোৰ হলে পাপলৈ বৰ ভয় দেও। চাওঁ, এৰা, লৰ মাৰি ধৰম ফেৰা আৰ্জ্জি আহোঁ। (গৃহস্থৰ হাতৰপৰা আজোৰ মাৰি এৰাই আগবাঢ়ে)

গৃহস্থ।—(অবাক্ হৈ ভোৰ্‌ভোৰাই) উঃ কটা, চোৰৰো ধৰমলৈ মতি! মই হে অকল ধনতে মজিছোঁ! বাৰু, ইয়াক যাবলৈ দিওঁ। তাৰ পুণ্যৰ এভাগ কিজানি ময়ো পাম। কিয়নো, মই এৰি দিলেহে সি যাবলৈ পাব। (ফুটাই) বাৰু যা, নপলাবি আকৌ।

টেটোন।—বাৰু, সেইটিলৈ ভয় কৰিব নেলাগে। অমুকাই পলৰীয়া নাম নলয়। চাই থাকা, এটা লৰত পুণ্য আৰ্জ্জিমগৈ; আৰু উলটি ইটো লৰত পৰৰ গাত পাপ থমহি।

হালোৱা।—এৰা, যোৱাঁ দেউতাহে, বেগাই যোৱাঁ। গুণ নহয় তেও ধৰম হ'ব। পাকতে মই ইটো আগচি আনোগে।

টেটোন।—কিয়, গুণ নো নহ'ব কিয়? মই দুইটা আৰ্জ্জিম, চাই থাকিবা এতিয়া, (গৃহস্থৰ হাতৰপৰা টোকোন ডাল টান মাৰি লৈ, লৰ মাৰি গৈ, গৰুটো একেমাৰে বধি, উলটি আহে)

হালোৱা।—ক'তা, গৰুটো ওভতাই নানিলা দেখোন?

টেটোন।—তুমি জানো আনিবলৈ কৈছিলা? ৰাখি থৈ আহিবলৈ হে কৈছিলা? সৌটো নহয়, একেটা মাৰতে ৰাখি থৈ আহিছোঁ।

হালোৱা।—কি কোৱা!

টেটোন।—ভাল কৈছোঁ। যেনেকৈ কৈ পঠিয়াইছিলা, তেনেকৈ কৰি থৈ আহিছোঁ। চোৱাঁগৈ মিছা কৈছোঁ যদি, জিভা মেলি দীঘল দি পৰি আছে সৌটো।

হালোৱা।—ঐ কটা, তই দহোন মোক মৰিয়াই মাৰিলি একা?

টেটোন।—অ, তোমাক মৰিয়াই মাৰিলোঁ আকৌ কেতিয়া? গৰুটো হে মাৰিবলৈ কৈছিলা; তাক হে মাৰিলোঁ। তুমি নোকোৱাকৈ আকৌ তোমাক কিয় মাৰিম?

হালোৱা।—অ, মই ইবোৰ-সিবোৰ কথা নেজানো। ব'ল, ৰজাৰ আগত দিওঁগৈ। ময়ো এগছ লগাওঁ জৰী (টেটোনৰ কঁকালত জৰী লগায়)

টেটোন।—ই-এ! এইটো কেনে মানুহ ঔ! ইয়েই মাৰিবলৈ কয় গৰুটো, ইয়েই হেনো গোচৰ দিয়েগৈ! অ, উচটাই গো-বধ কৰাই এতিয়া পৰাচিতৰ ধন দিব লাগে বুলি এইখন টাং-বাং কৰিছ। বাৰু, বল ৰজাৰ আগলৈ। কাৰ ভাগ্যত কি আছে দেখা যাব। এটাতকৈ বঢ়াই মাৰ মাৰিছোঁ যদি, মোৰ গাত ঘাটি। (প্ৰস্থান)

পঞ্চম পট

হাটকৰা বাট

(কল-বেঙেনা, পাণ-তামোলৰ পোহাৰ আগত লৈ এজনী পোহাৰী)

পোহাৰী।—(আপোনা-আপুনি) আললু-আপচু দিবলৈ বহি! কোন্ নো বিজতৰীয়াক দেখি আহিলোঁ ঐ আজি! পইচা এটাৰো কিবা বেচিবলৈ পালোঁহেঁতেন যদি! কিমান নো হাটকৰা-বাটকৰা আগেদিয়েই পাৰ হৈ গ'লহি, কোৱাচোন ফুটাকড়ি এটাও নেবেহালে! লোণজেবাকে নো কিনি নিওঁ কিহেৰে আজি! কিনো কৰিম আই, ঘৰত আৰু থাৰণি সৰালেগৈ হে হ'ব। তাকো জানো পাৰোঁতে নকৰোঁ? ল'ৰা-পোৱালিটোৱে আকৌ লোণ নহলে একোকে মুখত নিদিয়ে নহয়! (মূৰে-কপালে হাত দি টলকা মাৰি ৰয়) অ, বাৰু, সৌৱা কোনোবা গোটাদিয়েক এই বাটেই আহিছেচোন।

(গৃহস্থ, হালোৱা আৰু টেটোনৰ প্ৰবেশ)

টেটোন।—অ, ৰবাচোনইক। মোৰ আৰু ভৰি নচলাই

হ'ল! কাছুটিখনো তোমালোকৰ বান্ধকেটাই হে ৰাখি থৈছে। বোলোঁ, কল-কুঁহিয়াৰ যি পোৱাঁ অলপ কিনি-কুটি খুৱাই লোৱাঁহঁক; নহলে আৰু মোক কানতকৈ নিলেহে হ'ব।

(থপৰাই বহি পৰে)

গৃহস্থ।—এ হে! বান্দৰটো অ! চোৱে আকৌ কানত উঠি হে যায় হেনো।

টেটোন।—হুঁ:, পিঠিত উঠি গৈ চোৰ সোমালোঁ, এতিয়া ৰজাৰ আগলৈ যাওঁতে কানত উঠাটো টান হে পালোঁ নে?

হালোৱা।—হেৰ অধৰমী, মেনে-মেনে থাক। ঘিঁউত জুই ঢালি নলবি দেই এতিয়া! চোঁচৰাই নিম বুলি জনা নাই নে?

টেটোন।—জানিছোঁ। ঘিঁউত জুই ঢাল নেখায়, তোমাৰ থং-জুইকৰা হে ঘিঁউত জুবুৰিয়াই দি চেচঁনি পেলাই লব খুজিছোঁ।

হালোৱা।—কটা, সঁচাই বুলিছ নে? (খেদা মাৰি) হালোৱা এছাৰিৰ কোবত বেবাকৰাই পেলাম বুলি জনা নাই নে?

টেটোন।— নেজানিম নো কিয় হেৰা। জানিছোঁ দেখিতো কওঁ, বোলোঁ, তেওঁৰ কানখন হে বিচাৰিছোঁ, তোমাৰ আকৌ মূৰত ভৰি থবলৈ নেপালে অমুকাক লৰাব পাৰিম বুলি ভাবিছাঁ জানো? সেইটি নেচেল।

গৃহস্থ। ৰবাঁ, হেৰা। এইটো কৰবাৰ অহৌ বলিয়া আধা-কটা ল'ৰা। ইয়াৰে চুপতি মাৰি কি অন্ত পাবাঁ? এতিয়া ইয়াক উলমুলাই কোনোমতে ৰজাৰ আগত দিবগৈ পাৰিলেই হয়। হেৰা, আছে যদি গাঁথিত, পইচা এটা দি সৌ পোহাৰীজনীৰপৰা কল ডটা-মানকে আনি দিয়াঁ হে।

হালোৱা।—এ, মোৰ গাঁথিত নাই দেও! মই পথাৰলৈ আহিছিলোঁ, পইচা কেলেই আনিছোঁ!

গৃহস্থ।—এৰা, মোৰ হাতো শুদা!

টেটোন।—টোকোনা চিকটা ককাইহঁত! বোলোঁ, গোচৰলৈ আহিছাহঁক, হাতত পইচা এটি নাই! বাৰু তোমালোকৰ জৰী কেগছকে লেজুৰাকৈ এৰি দিয়াহঁকচোন, মোৰ বুধিৰ মোনাটোকে মেলি চাওঁ।

হালোৱা।—অঁ, অঁ, অঁ, মই বাৰু দিছোঁ ঢিলাই।

গৃহস্থ।—বাৰু, ময়ো দিছোঁ এৰি, যক সি কেনেকৈ পাৰে মাৰকগৈ থকটো আপুনি।

পোহাৰী।— এৰা তো, ভোকত কল-বন এটা খাবলৈ এৰি দিব লাগে তো। হেজাৰ হলেও মানুহৰ পোৱালি হে দেখি।

টেটোন।—(পোহাৰীৰ কাষ চাপি) ইয়ে! আমাৰ জাপৰী বাইটি দেখোন। সঁচা, বাইটি, তুমি মোৰ দুখ নপতিয়ালে কোনে পতিয়াব? বাইটি! কলাবোৰ বাৰু নে? দিয়াঁচোন এটা খাই চাওঁ। (কল ছিঙ্গিবলৈ হাত মেলে)

পোহাৰী। -(হাত-মুখ জোকাৰি উঠি) এ-হে! বান্দৰটি ঐ! বোলে, ক'ৰপৰা আহিলি ক'ত দিলি ভৰি, চোঁতালখন ফাটি গ'ল চাঁট্-চাঁট্ কৰি। কিনক নিকিনক ইয়াক এচোন এনেই কল খুৱাই লওঁ! নেদেখিছাঁ। গুচ্ গুচ্ ইয়াৰপৰা ভালে ভালে। মনত বিষাদ লাগি আছে। এতিয়ালৈকে পইচা এটাও বহনি হোৱা নাই।

টেটোন। -এ, বাইটি, কেটেৰা-জেঙেৰা নো মাৰাঁ কিয় আকৌ? মোলৈ দেখোন তোমাৰ বৰ মৰম! বাইটি! পাক এটাকে দি দেখুৱাওঁ দেই, কল এটা দিবাঁ।

(নাম গাই গাই নাচে)

খেমটা

বৰ ভাল পাওঁ তোমাক মই,
বৰ ভাল শুনোঁ তোমাৰ 'হই'।
হাটে-বাটে শুনি আৰু
তোমাৰেহে হয়-বয়,
বৰ ভাল পাওঁ মই॥

শুনিলাঁ? দিয়াঁ কল এটি এতিয়া বাইটি!

পোহাৰী।—(মুখ বিদৰাই) কেনেসন কৰে এই ভেচেলী-

মুৰাটোৰে! গুচ্ এতিয়া ভালে ভালে, নহলে দিম বুঢ়ীমাৰে ভাল দৰে। মন-চন বেয়া লাগি আছে।

টেটোন।—বাৰু, ভালদৰে দিব খুইছা যদি চাইটাও দিয়াঁ। দিলে, আমি দহোটাও বলে পৰা হ'ব।

পোহাৰী।—হেৰ, কটাযোৱা পো, বোলোঁ, পইচাটো পেলাবি, কল আমি লবি, বুকুত গোৰ মাৰি গুচি যাবি; কিহৰ আকৌ এইসন লেৰেলা সাদৰ চেলাবলৈ আহিছ?

টেটোন।—বাৰু, তেন্তে তোমাৰ কথাই কথা। (মেৰ্-তলীৰপৰা পইচা এটা উলিয়াই পাচিলৈ দলি মাৰি দি) হোঁ, ল, সেইটো পইচা। মোক আৰু এনে নিচলা যেন দেখিছিলি নে? (পাচিৰপৰা কল একামি তুলি লৈ, পোহাৰীক বুকুত গোৰ মাৰি চিট্‌খুৱাই পেলাই কল খাবলৈ ধৰে)

পোহাৰী।—(টিক্‌চি-বিক্‌চি উঠি) ঔ! বন্দী চুৰাসোৱা সেকাৰসোৱা বেটীৰ ধাৰ সোৱা পো! তইচোন মোৰে কল খাই মোকে গুৰিয়াৱ! বুঢ়ীমাৰে এতিয়াই তোকে ৰজাৰ আগত নিদিমগৈ বুলি জানিছ নে? (বাউলী হৈ টেটোনৰ কঁকালত গামোছা লগায়)

টেটোন।—কিনো বোলেঔ! কথামতে চলিলে ইঁহতে আকৌ জগৰ হে ধৰে। বাৰু, লগাই থাক্ কেউডাল হয় কঁকালত জৰী। মোক মুঠেই পেটৰ ওজৰটো মাৰি লবলৈ দে। (টেটোনে চোঁচা মাৰি গৈ কল-কুঁহিয়াৰ আৰু যি পালে খাই কাষলতি বজায়, পোহাৰীয়ে ডেও-দোপাল পাৰি হায়ঔ-বিঔ লগায়!)

দ্বিতীয় অঙ্কপাত

তৃতীয় অঙ্ক

প্ৰথম পট

ৰজাৰ বিচাৰ-চ'ৰা

(ৰজা, ন্যায়সোধা ফুকন, গৃহস্থ, হালোৱা, পোহাৰী, টেটোন আৰু কটোৱাল)

ৰজা।—কিহৰ গোচৰ আজি এইখন ভাগুৰীয়া?

ফুকন।—গোচৰ তিনিখন স্বৰ্গদেৱ!—চুৰি, ডকাইতি আৰু গো-বধৰ গোচৰ।

ৰজা।—কিন্তু, অপৰাধী দেখোন এটা হে?

ফুকন।—হৈছে, স্বৰ্গদেৱ! সেই এটাৰ কঁকালতে তিনটাৰ তিনিগছ জগৰৰ ডোল!

ৰজা।—ইনো কেনে কথা! একেটা মানুহেই একেবাৰতে তিনিখন গোচৰত কেনেকৈ পৰিল?

ফুকন।—সঁচা, স্বৰ্গদেৱ! এখন গোচৰত এটাৰ হাতত বন্দী হৈ, আকৌ ই দুখনত সি কেনেকৈ পৰিবলৈ পালে সেইটো অলপ আচৰিত মানিবলগীয়া কথা। এতিয়া বিচাৰত হে ইয়াৰ তত্ত্ব পোৱা যাব।

ৰজা।- বাৰু, সোনকালে বিচাৰ আৰম্ভ কৰাঁচোন।

ফুকন।—ভাল, স্বৰ্গদেৱ। হেৰ, গুচৰীয়াহঁত, এফলীয়া হৈ থিয় দে। (গৃহস্থ, হালোৱা আৰু পোহাৰীয়ে টেটোনৰ কঁকালৰ ৰচা এৰি দি এফলীয়া হয়) বাৰু, এতিয়া প্ৰথম গুচৰীয়া কোন্?

গৃহস্থ।—(আঁঠু লৈ) দেউতা-ঈশ্বৰ, মই।

ফুকন।—বাৰু, তোৰ গোচৰ কি?

গৃহস্থ।—দেউতা-ঈশ্বৰ! ই মোৰ ঘৰত ৰাতি চোৰ সোমাইছিল। পিচে, মাল-বস্তু লৈ ওলাবলৈ নৌ পাওঁতেই মই সাৰ পালোঁ। আৰু, ৰাতিটো তাক বান্ধি থৈ, পুৱাতে স্বৰ্গদেৱৰ আগলৈ লৈ আহিছোঁ। ই অতি গভাইত্ চোৰ দেউতা-ঈশ্বৰ!

ফুকন।—(টেটোনৰ প্ৰতি) হয় নে কটা, তই এই গৃহস্থৰ ঘৰত চোৰ সোমাইছিলি?

টেটোন।—হৈছে, দেউতা-ঈশ্বৰ, চোৰ বুলিয়েইতো আনিছে ধৰি।

ফুকন।—পিছে ?

টেটোন।—পিছে, প্ৰমাণ লওক, দেউতা-ঈশ্বৰ।

গৃহস্থ।—সি আৰু কি প্ৰমাণ দিব, দেউতা-ঈশ্বৰ! হাতে-হাতে ধৰি, বান্ধি লৈ আহিছোঁ, ইয়াৰ উপৰি আৰু তাৰ কি কবলৈ আছে ?

ফুকন।—সঁচা নে? অপৰাধীৰ আৰু কিবা কবলৈ আছে নে ?

টেটোন।—দেউতা-ঈশ্বৰ, মোৰ বেছি কবলৈ নাই সঁচা। কিন্তু ৰাতিৰ কাল বুলি তেওঁৱেই কৈছে, বাহিৰত মানুহ-দুনুহ নাই, তেওঁ যে মোক বাটৰপৰা ধৰি নি বান্ধি থোৱাগৈ নাই, তেৱেঁইচোন তাৰ প্ৰমাণ দিয়ক আগেয়ে।

ৰজা।—সঁচা, ইওটো সম্ভৱপৰ কথা। অৱশ্যে, দুয়োটাতে প্ৰমাণৰ প্ৰয়োজন।

ফুকন।—বাৰু, (গুচৰীয়াৰ প্ৰতি) তই যে তাক বাটৰপৰা ধৰি অনা নাই, ভিতৰতহে পাইছিলি, সেইটো কোনে কোনে দেখিছিল? সাক্ষী দিব পাৰিবি নে?

গৃহস্থ।—তেতিয়া আন কোনো নাছিল, দেউতা-ঈশ্বৰ। আমাৰ সিজনীয়ে হে মাথোন দেখিছিল।

ফুকন।—(হাঁহি হাঁহি) কটা, ভাল সাক্ষী বিচাৰি পালিগৈ। ঘৈণীয়েৰে তো নহয় নোবোলে।

গৃহস্থ।—তেন্তে, শপতলৈকে দিয়ক, দেউতা-ঈশ্বৰ। য'তে ধৰিবলৈ কয়, মই ত'তে ধৰিব পাৰোঁ।

টেটোন—বাৰু, সেইটো এৰিছোঁ। দেউতা-ঈশ্বৰে সোধক চোন তেওঁ নো সাৰ পালে কেনেকৈ ?

ফুকন।—বাৰু, গুচৰীয়াই কচোন কেনেকৈ সাৰ পালি ?

গৃহস্থ।—দেউতা-ঈশ্বৰ, সি মোৰ ভিতৰত সোমাই, বাৰত আৰি থোৱা ভগা ঢোলটো বজাই দিয়াত, মই সাৰ পাই উঠি চাওঁ দেখোন, এইটো চোৰ সোমাইছে।

ৰজা।—কি আচৰিত! কাণত নোসোমোৱা কথা!

টেটোন।—(মুখত কাপোৰৰ সোপা দি হাঁহি) শুনক, দেউতা-ঈশ্বৰ। স্বৰ্গদেৱ-ঈশ্বৰেও শুনিছে। চোৰে হেনো ঢোল বজাই গৃহস্থক সাৰ পোৱাই লয়! ইয়াৰ উপৰি আৰু কিবা প্ৰমাণ লাগিব নে, দেউতা-ঈশ্বৰ ?

ফুকন।—নালাগে আৰু প্ৰমাণ। গোচৰৰ কথা মোৰ মনত প্ৰলাপ যেন হে লাগিছে!

টেটোন।—স্বৰূপ কৈছে দেউতা-ঈশ্বৰে! মোৰ মনেৰে এই কিৰ্পিণ গৃহস্থই দিঠকতে সপোন দেখিছিল। বাজ নে ভিতৰ সেই ফিৰি জ্ঞান বপুৰিৰ গাত নাছিল যেন পাওঁ। নহলে নো বাটৰ বাটৰুৱাক ধৰি-বান্ধি ৰজাৰ আগত দিয়েহি নে? ময়ো পিচে একো নকলোঁ; মনে মনেহে বোলোঁ, এই চলতে ৰাজদৰ্শন লাভ কৰি আহোঁগৈ।

ফুকন।—উঃ, হয় দেও, এইটো শ-টকীয়া কথা!

টেটোন।—ভাল, সেই ফেৰা দেউতা-ঈশ্বৰৰ অনুগ্ৰহ। নেপাহৰে যেন।

ফুকন।—গুচৰীয়া যে ভ্ৰমত পৰিছে, তাৰ বিশিষ্ট প্ৰমাণ পোৱা গ'ল। মোৰ মনেৰে গোচৰ সম্পূৰ্ণ মিছা। স্বৰ্গদেৱৰ যি আজ্ঞা হয়।

ৰজা।—অপৰাধীক এই গোচৰৰপৰা মুক্তি দিয়া গ'ল।

টেটোন।—(গৃহস্থৰ কাষ চাপি কাণে-কাণে) এতিয়া কেনে! ভেচ্‌ভেচীয়া নহ'লা। মই নকৈছিলোঁ, বোলোঁ, মোৰ পেটজনাক পূজা। এভাগি নিদিয়াৰ বাবে তোমাক পাপে চুইছে। তেতিয়া মোক বলিয়া বুলিছিলা? এতিয়া বলিয়া কোন্ হে ?

গৃহস্থ।—সঁচা, বোপাই, মোৰ ধন-বস্তুৱেই মোক বলিয়া কৰিবগৈ যেন পাইছোঁ।

ফুকন।—(হালোৱালৈ চাই) বাৰু, কটা, এতিয়া তোৰ গোচৰৰ কথা ক।

হালোৱা।—(আঁঠু লৈ) দেউতা-ঈশ্বৰ! ই মোৰ হালৰ বলধী গৰু এটা মৰিয়াই মাৰি থৈ আহিছে। মই বন্দী নিৰুপায়, দেউতা-ঈশ্বৰ!

ফুকন।—(টেটোনৰ প্ৰতি) হেৰ কটা, সঁচা নে ?

টেটোন।—সঁচা, দেউতা-ঈশ্বৰ। সঁচা কথা কৈ কটা যাওঁ, সিও ভাল! মই কেতিয়াও মিছা নেমাতোঁ।

ফুকন।—তেনেহলে তই নিজমুখেই ঘাটি এতিয়া তই তাৰ ক্ষতিপূৰণ দিলে হে হ'ব।

হালোৱা।—হৈছে, দেউতা-ঈশ্বৰ! মই সেইটো গৰু অকুৰি-অটকা দি কিনিছিলোঁ।

ফুকন।—(টেটোনক) তই তেন্তে সেইাখিনি ধন তাক দিব লাগিব।

টেটোন।—ভাল, দেউতা-ঈশ্বৰ, দিব লগা হয়গৈ যদি দিয়া যাব। কিন্তু, মই সঁচা কথা হে স্বীকাৰ কৰিছোঁ, দোষী বুলি সৈ লোৱা নাই নহয়, দেউতা-ঈশ্বৰ।

ফুকন।—কিয় নো নহবি দোষী? তোৰ নিজৰ কথাই তোক দোষী কৰিছে দেখোন।

টেটোন।—দেউতা-ঈশ্বৰ! তেওঁ কোৱা কথা মতে কাম কৰাৰ বাবেও মই দোষী হ'ব লাগে নে?

ফুকন।—তাৰ কথা মতে চলিছিলি যদি, তই শলাগ হে পাব লাগিছিল। পিচে, কিয়নো অপৰাধী বুলি সি ধৰি আনিছে? বাৰু, কিনো কথা ভাঙ্গি কচোন।

টেটোন।—ভাল, দেউতা-ঈশ্বৰ, শুনক তেন্তে। এই গৃহস্থই মোক চোৰ বুলি ধৰি আনি আছে, এনেতে বাটত এই হালোৱাক আমি লগ পাওঁ। সি হাল বাবলৈ নিয়া গৰু দুটাই সাঙোৰ ছিঙ্গি দুটা দুফালে লৰ মাৰে। পিচে সি মোক আথেবেথে কলে, বোলে, "যোৱাঁ দেউতাহে সোঁ বাঘৰ বুকুলৈ যোৱা গৰুটো মাৰ এটা মাৰি ৰাখি দিয়ঁাগৈ।" মই চালোঁ, বাঘৰ বুকুলৈ যোৱাতকৈ মাৰ এটা মাৰি ৰাখি দিয়াই ভাল। এই ভাবি, দেউতা-ঈশ্বৰ, লৰি গৈ মাৰ এটা মাথোন মাৰি গৰুটো বাঘৰ বুকুৰ পৰা ৰাখি দিলোঁ। এটাতকৈ সৰহ মাৰ মাৰিছোঁ যদি, সোধক তাকে দেউতা-ঈশ্বৰ! এই গৃহস্থও সাক্ষী।

ফুকন।—(হালোৱাৰ প্ৰতি) হেৰ কটা, সঁচা নে? মাৰ এটা মাৰি ৰাখিবলৈ তই কোৱা হয় নে?

হালোৱা।—হয়, দেউতা-ঈশ্বৰ, সেই বুলি কোৱা হয়।

ফুকন।—পিচে, সি কেইটা মাৰ মাৰিলে?

হালোৱা।—একেটা মাৰতে মাৰি থলে, দেউতা-ঈশ্বৰ!

টেটোন।—এতিয়া মোৰ গাত কিবা দায় আছে নে দেউতা-ঈশ্বৰ?

ফুকন।—নাই, নাই, তোৰ দোষ নাই! উঃ, এইটো হেজাৰটকীয়া কথা দেও!

টেটোন।—ভাল, সেই ফেৰাও দেউতা-ঈশ্বৰৰ কৃপাহে। মনত থাকে যেন। কিন্তু, ক্ষতিপূৰণ এতিয়া পায় কোনে? উচটাই গো-বধ কৰোৱা পৰাচিতৰ বাবে মই ক্ষতিপূৰণ নেপাওঁ নে, দেউতা-ঈশ্বৰ?

ৰজা।—ঠিক কথা। ক্ষতিপূৰণ ই হে পাব লাগে। গুচৰীয়াই তাক পৰাচিতৰ ধন দিব লাগিব।

টেটোন।—ধইন্! ভালে তে স্বৰ্গদেৱ-ঈশ্বৰক ধৰ্ম্মাৱতাৰ বোলে। (হালোৱাৰ কাষ চাপি কাণে-কাণে) ব'ল আজি ঘৰলৈ, তোৰ ইওটো গৰু বেছিমগৈ, বাপেৰে।

হালোৱা।—অ, শুনিছে, দেউতা-ঈশ্বৰ, ই এতিয়া কি কয়!

ফুকন। (পোহাৰীৰ প্ৰতি) বাৰু, এতিয়া তোৰ গোচৰ কি? কৈ যা।

পোহাৰী।—দেউতা-ঈশ্বৰ। ই কটাযোৱাই মোৰ পাচীৰে কল খায়, আকৌ মোকে বুকুত গুৰিয়াই পেলায়। এনে দিন-ডকাইত হলে ৰাঁৰী-দুখুনী মানুহ আমি কেনেকৈ তৰিম, দেউতা!

টেটোন।—(কথাৰ লাচতে) তৰিব নোৱাৰ যদি মৰিব তো পাৰিবি?

ফুকন।—(টেটোনৰ প্ৰতি) তই নো তাইৰ পাচীৰে কল খাই তাইকে বুকুত গুৰিয়ালি কিয়? কথা সঁচা নে মিছা?

টেটোন।—মিছা নকওঁ বুলিছোঁ নহয়, দেউতা! বুকুত গোৰ মৰাটো সঁচা। কিন্তু, কথামতে চলিলেও জগৰ ধৰিব পায়নে? আৰু, পইচা দি বস্তু ললেও ডকা দিয়া হয় নে, দেউতা-ঈশ্বৰ?

ফুকন।—কথামতে চলিলে জগৰ ধৰিব কিয়? আৰু, পইচা দি বস্তু ললে ডকা দিয়া নহয়। হেৰ, বেটী, তোক সি কলৰ পইচা দিছিল নে?

পোহাৰী।—দিছিল, দেউতা-ঈশ্বৰ!

ফুকন।—পিচে, তেন্তে?

টেটোন।—তাৰ পিচে, দেউতা, ময়ে কওঁ। মই কল কিনিবলৈ দৰ-ভাও কৰাত, তাই কলে, বোলে, "পইচাটো পেলাবি, কল আৰি লবি, বুকত গোৰ মাৰি গুচি যাবি।" তাতকৈ একৰতিও বেছি কৰিছোঁ যদি, মই সমূলঞ্চে ঘাটি, দেউতা-ঈশ্বৰ!

পোহাৰী।—ইঃ, সি নো বাৰু কথাটোতে লাগি বুকত গুৰিয়াব পায় নে? ক'ত দেখিছা, এনে কথা!

টেটোন।—হেৰ, কথাত নেলাগি নো লাগে কিহত? বাৰু, তয়ে কচোন, তোৰ কথামতেই মই চলা নাইনে? তোৰ পাকলগা কথাৰ ধাৰ আকৌ মুবুজোঁ নহয়; আমি পোন্‌পটীয়া মানুহ।

ফুকন।—উঃ, ইটো আকৌ লাখটকীয়া কথা দেও! বাৰু সোণামুৰা ডেকাটো হয়!

টেটোন।—এই ফেৰা দেউতা-ঈশ্বৰৰ অনুগ্ৰহৰ উপৰি অনুগ্ৰহ। দেউতাৰ অনুগ্ৰহলৈ যথাসময়ত অৱশ্যে মনত পেলোৱা যাব, এতিয়া গোচৰৰ ৰায় শুনিবলৈ হে প্ৰাৰ্থনা কৰোঁ।

ৰজা।—অপৰাধী এটা দোষৰো দোষী নহয়। এতেকে, তাক কেইওখন গোচৰৰপৰা মুক্তি দিয়া গ'ল। এতিয়া গোচৰৰ ডোল নিজ নিজ হাতে মোকোলাই লৈ, গুচৰীয়াবিলাক ঘৰাঘৰি যাব লাগে। তাৰ পাচত, পদকীয়াও যাব পাৰে।

গুচৰীয়াবিলাক।—যি আজ্ঞা, স্বৰ্গদেৱ-ঈশ্বৰ!

(টেটোনৰ বান্ধ সোলোকাই লৈ, তিনিওৰে প্ৰস্থান)

টেটোন।—যি হুকুম, স্বৰ্গদেৱ-ঈশ্বৰ! ময়ো তেন্তে পিচ লাগোঁ। (পিচে পিচে ভেঙুচালি কৰি) ব'ল আজি বাপেৰে! বাটত আকৌ এসেকা নিদিম বুলি জানিছ নে? (প্ৰস্থান)

ৰজা।—উঃ, আজিৰখন গোচৰ শুনিবলগীয়া দেও!

ফুকন।—হৈছে, স্বৰ্গদেৱ! অপৰাধীৰ যুক্তিবোৰ মই অকাটা পালোঁ।

ৰজা।—সঁচা, সি বৰ বিচক্ষণ বুদ্ধিৰ ডেকা। তাৰ যুক্তি ময়ো শলাগিছোঁ। বাৰু, ডাঙৰীয়া, আজিলৈ আৰু ইমানতে উঠা যাওক, কি বোলা?

ফুকন।—ভাল, স্বৰ্গদেৱ! বিদায় হে এতিয়া।

(দুইৰো দুফালে প্ৰস্থান)

দ্বিতীয় পট,—গাওঁবাট

(দুটা হাটৰুৱা)

১ম।—উঃ! আতি টান পালোঁ হয় দেও! মোৰপৰাই কিনি আকৌ মোকে বেচিবলৈ বিচাৰে! বুপাঔ! কিনো টেটোন ওলালেহিঔ!

২য়।—হেৰ, কিন্তু অজলা ককাই! তই কিন্তু কথাত হে টেটোন বুলিছ, সঁচাকৈয়ে হেনো টেটোন এটা কিন্তু ওলাইছেহি। তই কিন্তু শুনা নাই নে?

১ম।—উঁ-হুঁ, মই একো শুনা নাই বোপাই! অ, আজি সেই মোক পোৱাটোৱেই নে কি? আও! সেইটোৱে পালে হলে জীয়াই-জীয়াই বেচি খাব বোপাইঔ!

২য়।—সেইটোৱেই কিন্তু হব পায়। মই কিন্তু চিনি নেপাওঁ, শুনিছোঁ হে। আও, নামে-গাঁৱে কিন্তু টেটোন হেনো ককাই! কথাৰে কেৱে কিন্তু বলে নোৱাৰে, মন্ত্ৰীও কিন্তু বিগৰে। সিদিনা কিন্তু তিনটা কথাৰেই তিনিখন গোচৰ কিন্তু টিলিকিত উৰাই দিলে।

১ম।—বাৰু, কেনে নো নামে-গাঁৱে টেটোন? কচোন ক, বাৰু শুনিয়েই থওঁ।

২য়।—এৰা, কিন্তু কথাত হে যোজোনা দিয়া কিন্তু শুনিছিলোঁ টেটোন বুলি, এতিয়া কিন্তু সঁচাকৈয়ে টেটোন নামেৰে কিন্তু চেঙেৰা ডেকা এটা কিন্তু ফুৰিছেহি। ককাইটিঐ! তাৰ কিন্তু কথা কিন্তু শুনিয়েই কিন্তু তল যাওঁ!

১ম।—কেনে নো, হেৰ, কচোন। ভাঙি কলে কিবা দায় লাগে নে কি? থোৰতে নো থৰ কিয়?

২য়।—কলে কিন্তু দায় নাই। কিন্তু নাম লওঁতেই, ভূতে পোৱাদি কিন্তু পায়হি যেন লাগে কিন্তু।

১ম।—বাৰু, কচোন। আমি এতিয়া দুটা আছোঁ। ভয় নাই; নাইবা মেনে-মেনে কৈ যা, শুনি থাকোঁ।

২য়।—এঃ, কিন্তু তই আকৌ ভুটাকে কিন্তু গপাইছ। এশটায়ো কিন্তু বলে পৰা নাই! সিদিনা কিন্তু মন্ত্ৰী ডাঙৰীয়াৰ চকুতে কিন্তু ধূলি দি কিন্তু কাম সাধিলে।

১ম।—ঔ আই! হেৰ, কেনেকৈ পালে মন্ত্ৰী ডাঙৰীয়াৰ চকুত ধূলিছাতি মাৰিবলৈ?

২য়।—এঃ, তই কিন্তু নিচেই ভোদা মানুহ কিন্তু অ! হেৰ, কিন্তু চকুত ধূলি দিয়া অৰ্থত কিন্তু ভুৰা দিয়া বুজায়।

১ম।—কেনেকৈ, কেনেকৈ? কচোন, কেনেকৈ?

২য়।– কেনেকৈ কিন্তু কওঁ শুন। সেই টেটোনটো কিন্তু ডাঙৰীয়াৰ পদূলিৰ আগেদি কিন্তু গৈছিল।

১ম।—পিচে, পিচে?

২য়।—পিচে, সি কিন্তু গাভৰু-টোলৰ ফালে চাই কিন্তু চকু টিপিয়াইছিল।

১ম।—পিচে? উঃ, ইমানটো সাহ! পিচে, পিচে?

২য়।—পিচে, কিন্তু ডাঙৰীয়াই শুনি তাক কিন্তু তেতিয়াই ধৰাই নিয়ালে।

১ম।—তাৰ পিচে? তেতিয়াই তাক চাগৈ শালত দিবলৈ হুকুম দিলে! উঃ, ইমানটো পিত! হ'ব তো তাৰ তেনে দশা!

২য়।—ইঃ, ক'ত কিন্তু শালত দিয়ে। শুনচোন কিন্তু শুনি ল কিন্তু আগেয়ে। ডাঙৰীয়াৰ চ'ৰালৈ কিন্তু ধৰি নিওঁতেও কিন্তু বাটতে কিন্তু সি ঘনাই চকু পিৰিকিৰা কিন্তু স্বভাৱৰ মানুহটো কিন্তু হৈ পৰিল! তাৰ পাচত, কিন্তু ডাঙৰীয়াৰ আগত কিন্তু থিয় কৰালত সি কিন্তু কথাইপতি চকু-টিপিয়াবলৈ কিন্তু ধৰিলে।

১ম।—আও, বুপাওঁ! কিনো বুধিওঁ! হেৰ, সঁচাকৈয়ে কৈছ নে? উঃ, থিতাতে ভাল ফাকটিখন তৰিলে!

২য়।—সঁচা কিন্তু আকৌ। তোৰ কিন্তু ল'ৰাটিৰ মূৰ খাবলৈকে কিন্তু সঁচা।

১ম।—ঔ, বুপাওঁ! মন্ত্ৰী ডাঙৰীয়াকে ভুৰা দিলে! আমি তেন্তে কোন্ কুটা তাৰ মানত?

২য়।—তাকে তো কিন্তু কৈছোঁ! বোলোঁ, ভাল সাৰিলোঁহঁক কিন্তু আজি! এতিয়াও কিন্তু ভালে ভালে কিন্তু ঘৰ সোমাওঁগৈ বল কিন্তু ককাই! কেনেবাকৈ ইয়াতে কিন্তু পকৰাই পোৱাদি পাই কিন্তু কৰবালৈ উকৰাই কিন্তু নিবহি পিচে!

১ম।—হয়, বোপাই, বল বল, দিনে-পোহৰে ঘৰ সোমাওঁগৈ। ইস্! ইস্!! ইস্!!! (প্ৰস্থান)

তৃতীয় পট

ৰজাৰ ভিতৰ-চ'ৰা

(ৰজা আৰু ন্যায়সোধা ফুকন)

ৰজা।—ৰাজ্যৰ কুশল নে ডাঙৰীয়া? সকলো পিনে শান্তি ৰক্ষা পৰিছে নে?

ফুকন।– হৈছে স্বৰ্গদেৱ! মই জনাত, ক'তো কোনো অশান্তিৰ চিন নাই। স্বৰ্গদেৱৰ নো অবিদিত কি আছে?

ৰজা।—নহয়, ডাঙৰীয়া, তোমালোকৰ মুখে ৰাজ্যত শান্তি ৰক্ষা পৰিছে বুলি শুনিলে, মই বিশেষ শান্তি উপভোগ কৰোঁ। মোৰ তিনিজনা ডাঙৰীয়া আৰু তোমালোক ডাঙৰ বিষয়া কেইজনেই ৰাজ্যৰ থাই ধৰণী।

ফুকন।—সেইটো স্বৰ্গদেৱৰ অনুগ্ৰহ। কিন্তু, আমি বিষয়া-বিলাক স্বৰ্গদেৱৰ হাতৰ অস্ত্ৰ মাথোন। স্বৰ্গদেৱৰ নিজ গুণেই চাৰিওফালে যশস্যা বৈ-বৈ গৈছে। চৌদিশে স্বৰ্গদেৱৰ সাধুবাদ শুনা যায়।

ৰজা।—কাৰ মুখে শুনা যায় সাধুবাদ, ডাঙৰীয়া?

ফুকন।—সকলোৱে স্বৰ্গদেৱৰ গুণ গায়। তথাপি, বিশেষকৈ নিজৰ প্ৰজাবৰ্গৰ মুখত সেই গুণ-গান সততে শুনা যায়।

ৰজা।—ময়ো তাকে হে বাঞ্ছা কৰোঁ ডাঙৰীয়া! প্ৰজাৰ প্ৰশংসাত মোৰ হিয়া আনন্দেৰে উপচি পৰে! কিন্তু, কি বিষয় লৈ নো প্ৰজাই আমাৰ গুণ গায়?

ফুকন।—স্বৰ্গদেৱৰ অশেষ গুণ! গতিকে, গুণ-গানৰ বিষয়ো অলেখ। তথাপি, স্বৰ্গদেৱৰ ন্যায় বিচাৰ মন্ত্ৰীক চলিম

সম্বন্ধে বিশেষকৈ প্ৰশংসা কৰা শুনা যায়, সবাৰৰে মুখে-মুখে।

ৰজা।—হ'ব পাৰে। কিন্তু, ময়ে তাৰ অকল গৰাকী নহয়। তাত তোমাৰো ভাগ আছে।

ফুকন।—সেইটো স্বৰ্গদেৱৰ অনুগ্ৰহ।

ৰজা।—অনুগ্ৰহ নহয়। ভাবি চাবা, ন্যায় সোধাৰ বাব তোমাৰ গাত হে; মই সোধৰ শেহত আজ্ঞা দিওঁতা মাথোন।

ফুকন।—স্বৰ্গদেৱৰ আগত আৰু বঢ়াই কি কম, মই হলে নিজলৈ টান পৰিলেও ন্যায়ৰপৰা পিছলি নাযাওঁ।

ৰজা।—সঁচা, ময়ো মন কৰিছোঁ।

(দুটা উদং টোমৰ ভাৰ লৈ টেটোনৰ প্ৰৱেশ)

টেটোন।—(আঁঠু লৈ) স্বৰ্গদেৱ-ঈশ্বৰ। আৰু ডাঙৰীয়া দেউতা!

ফুকন।—হেৰ, তই কোন্? তোক কোনে ভেঁটালে?

টেটোন।—মই, সেই মই, দেউতা-ঈশ্বৰ। আৰু, মোক কোনেও নেভেটিলে। ভেটা হলে নো আৰু এই খিনি পাবহি পাৰোঁ নে?

ফুকন।—হেৰ, কোন্ 'মই'? কটা, তইনো ইমান বৰ মানুহ নে 'মই' বুলি চিনাকি দিয়।

টেটোন।—এ, দেউতা, কিনো কব লাগে পিচে? মই জানো মই নহয়, দেউতা?

ৰজা।—অ, তাক মই চিনিছোঁ। এইটো সিদিনা তিনিখন গোচৰত পৰি মুক্তি পোৱা ডেকাটো।

টেটোন।—হৈছে স্বৰ্গদেৱ-ঈশ্বৰ! হেজাৰো হওক, এখাপ ওখ যি ওখ! স্বৰ্গদেৱে টপ্‌কৰে ধৰিলে।—সেই মই!

ফুকন।—হেৰ কটা, তই ইয়ালৈ কেনেকৈ আহিলি?

টেটোন।—দেউতা-ঈশ্বৰ, মই খোজ কাটি আহিলোঁ।

ফুকন।—কটা, কি গজমূৰ্খ এইটো! হেৰ, তই নো খোজ কাটি নাহি, দোলা-ঘোঁৰাত উঠি ইয়ালৈ আহিবৰ সাধ্য আছে নে? বোলোঁ, কাকো নৌসোধা-নেমেলাকৈ তই অকলে এইখিনি কেনেকৈ পালিহি?

টেটোন।—(ভোৰ্‌ভোৰাই) সঁচা, গজমূৰ্খ নহলে নো ৰজা-কেনেকৈ! (ফুটাই) কিয়, দেউতা, সিদিনা গোচৰত আহোঁতে মই বাট চিনি থৈ গৈছোঁ নহয়?

ৰজা।—(হাঁহি মাৰি) বাৰু, কেনেকৈ আহিল সেইটো এৰি দিয়া; কিয় আহিছে তাকে সোধাঁচোন।

ফুকন।—হেৰ কটা, কিয় আহিছ তই, কচোন; কি লাগে?

টেটোন।—ডাঙৰীয়া-দেউতাকে বিচাৰি বিচাৰি এইখিনি পাইছোঁহি। মোৰ কপাল ভাল, স্বৰ্গদেৱে সৈতে একেলগতে পালোঁহি!

ৰজা।—হেৰ কটা, তই নো বাৰু ডাঙৰীয়াক ইমানকৈ কিয় বিচাৰিছ? আৰু, মোৰ ওচৰত পোৱাত নো তোৰ কেনেকৈ কপাল ভাল হ'ল? ভাঙি কচোন!

টেটোন।—স্বৰ্গদেৱ-ঈশ্বৰ! ডাঙৰীয়া দেউতাই যে সেই দিনা এশ-এহেজাৰ-একলাখ টকা দিম বুলিছিল, তাকে নিবলৈ বুলি এই টোম দুটা সাজি লৈ তেখেতক বিচাৰি ফুৰিছোঁ। ঘৰত নাপাই ইয়ালৈকে আহিছোঁ।

ফুকন।—কি! মই? মই তোক দিম বুলিছিলোঁ অতবোৰ টকা?

টেটোন।—হৈছে, দেউতা-ঈশ্বৰ। পিচে, অতবোৰ টকা এই দুটা টোমত নধৰিব হ'বলা? আৰু ধৰিলেও মই বলে পৰাটো টান দেখিছোঁ। সেই দেখি, দেউতা-ঈশ্বৰে টকাকৈ নিদি মোহৰকৈ দিয়ে যেন। এয়ে গোহাৰি।

ফুকন। হেৰ কটা, বলিয়া হৈছ নে কি? মই তোক কেতিয়া টকা দিম বুলিছিলোঁ?

টেটোন।—সঁচা, দেউতা, দুখীয়া-নিচলা দেখি আটায়ে মোক আৰু বলিয়া হে পাতে। সিদিনা বলিয়া পাতি অনা গোচৰ কেখন-দেউতায়ে সুধিছিল নহয়! ডাঙৰীয়া ডাঙৰ লোক, ডাঙৰ ডাঙৰ কথাত থাকে; এইবোৰ সৰু কথালৈ পাহৰিছে হ'ব পায় এতিয়া। কিন্তু, সেই দিনা ইয়াতে, স্বৰ্গদেৱৰ সাক্ষাততে ডাঙৰীয়া-দেউতাই নিজমুখে সেই টকাৰ কথা বেকত কৰে!

ৰজা।—হেৰ কটা, মোৰ সাক্ষাতে?

টেটোন।—হৈছে, স্বৰ্গদেৱ-ঈশ্বৰ!

ৰজা।—ক'তা! মোৰ দেখোন মনত নপৰে!

টেটোন।—(গহীনাই) এৰা, স্বৰ্গদেৱৰ আকৌ ডাঙৰীয়াতকৈও এখাপৰ ডাঙৰ, সেই দেখি অলপ ডাঙৰকৈ পাহৰিছে। নেপাহৰিবলৈ, এখন ৰাজ্যৰ কথা মূৰত; এই সামান্য কথালৈ নো স্বৰ্গদেৱৰ হঠাতে কেনেকৈ মনত পৰিব? স্বৰ্গদেৱ-ঈশ্বৰ! সেইদিনা,—সেই গোচৰ সুধিবৰ দিনা,—ডাঙৰীয়া-দেউতাই নিজ মুখে স্বীকাৰ পাইছিল, প্ৰথমখন গোচৰৰ বাবে এশ, দ্বিতীয় খনৰ বাবে এহেজাৰ, আৰু তৃতীয় খনৰ বাবে একলাখ টকীয়া কথা বুলি। এতিয়া স্বৰ্গদেৱৰ মনত পৰিব পায়?

ফুকন।—হেৰ কটা, সেইটো মুখৰ কথা হে!

টেটোন।—সঁচা, দেউতা, কথা বুলিলেই সি মুখৰ হে। তাতে আকৌ দেউতাৰ লাখটকীয়া সোণ-ৰূপৰ মুখৰ কথা।

ফুকন।—(চিন্তাযুত) উঃ কটা! কথাতে এতিয়া অতবোৰ টকা ভৰিবগৈ লাগিব নে কি!

ৰজা।- কথাটো কিন্তু মিছা নহয় ডাঙৰীয়া! যুক্তিমতে ই টকা পাবগৈ পাৰে হয়।

টেটোন।—ধইন্ ধইন্ স্বৰ্গদেৱ-ঈশ্বৰ! হয়তো, যুক্তিমতে হে চুক্তি। চুক্তি এৰাবলৈ হলে আগেয়ে যুক্তি ভাঙ্গিব লাগিব।

ৰজা।—পিচে, ডাঙৰীয়া, কি কোৰঁা এতিয়া?

টেটোন।- কব কি আৰু স্বৰ্গদেৱ! ন্যায়সোধাত ডাঙৰীয়া এজন জগতে-জনা লোক। প্ৰাণ গলেও কথা নেৰে নহয়। এনে জন পুৰুষ নহ'ব আৰু!

ফুকন।—(হুমুনিয়াহ্ কাঢ়ি) জানো স্বৰ্গদেৱে কি উপদেশ দিয়ে? মই হলে,—

ৰজা।—মই হলে আন উপায় নেদেখোঁ। নিজৰ গালৈ টান পৰিলেও ন্যায়ৰপৰা পিছলিব নালাগে। সেইটো দেখোন তোমাৰেই মত।

ফুকন।—(মূৰ খজুৱাই) এৰা, গৈ-থৈ এতিয়া দিব লগাত হে পৰিলোঁগৈ যেন পাইছোঁ অতবোৰ টকা!

টেটোন।—হয় তো, সজলোকৰ সজ কথা। নিদিব নো কেনেই, ডাঙৰীয়া হেন ডাঙৰ লোক এজনৰ মুখখনতকৈ টকা একলাখ নো কি ডাঙৰ বস্তু!

ফুকন।—বাৰু, দিব লগা হ'ল যদি, বল দিওঁগৈ!

টেটোন।—ভাল দেউতা-ঈশ্বৰ! কিন্তু টকাকৈ হলে, বলে পৰা নহব। ৰূপৰ সলনি সোণৰ মোহৰ দিবলৈ গাত লওক দেউতা-ঈশ্বৰ!

ৰজা।—বাৰু, দিব যা। ৰূপ হলেও, সোণ হলেও সেই একেই। তাৰ মূল্য লৈ হে কথা।

ফুকন।—এতিয়া বিদায় হে স্বৰ্গদেৱ! উঃ, কটা, কি কুক্ষণত ওলাইছিলোঁ আজি!

টেটোন।—আজি নহয়, ডাঙৰীয়া-দেউতা, সেই দিনা হে।

ৰজা।--বাৰু, যোৱাঁহক এতিয়া। আশা কৰোঁ, মিলা-প্ৰীতিৰে আৰু যুক্তিসঙ্গতকৈ বিষয়টো মীমাংসা হ'ব।

(প্ৰস্থান)

তৃতীয় অঙ্কপাত

চতুৰ্থ অঙ্ক

প্ৰথম পট,—ফুকনৰ গাভৰু-টোল

(চম্পাৱতীয়ে ফুলনিত ফুল তুলি ফুৰে)

চম্পা।—দেহিঐ! কেনেকৈ ফুলি আছে ফুল কেপাহি! তুলিবৰে সত্ যোৱা নাই,—ছিঙ্গোতেই যেন কোমল ঠাৰিটিয়ে দুখ পায়! তুলি লওঁতেই যেন কেনেবাকৈ পাহি সৰি মাটিত পৰে! আইঐ দেহি! সৌ কলিয়া ভোমোৰাটিলৈ চোৱাঁ! গোলাপ পাহীক চুমা এটি দিবলৈ গুণ্ গুণাই কেনেকৈ কাবৌ কৰি ফুৰিছে! দেহি, চিকুণ কলিয়াটিৰ প্ৰেমালাপত ফুল কেপাহী কেনেকৈ পমি যোৱাদি গৈছে! ব্ৰজৰ

গোপিনীয়ে হে যেন কলিয়া কানাইৰ বাঁহীৰ সুৰত আপোন-পাহৰা হৈছে!

(ৰংদৈৰ প্ৰৱেশ)

ৰংদৈ।—এ আই! আইদেৱে আজি অকলে অকলে ফুল তুলি ফুৰিছেহি! আন ছাৰি আজি মোকো নিবিচাৰিলে।

চম্পা।—অ, ৰংদৈ? আহিছ?

ৰংদৈ।—হয়, আইদেউ, আহিছোঁ। কিয় আহিছোঁ তাকো সোধক, তেহে আকৌ অহাৰ ওৰ্‌টো ওলায়।

চম্পা।—কিয়, তই তো মোৰ কাষলৈ আহিবিয়েই। কিয় আহ, কেতিয়াবা সোধোঁ জানো?

ৰংদৈ।--নোসোধে আইদেউ! পিচে, আজি নমতাকৈয়ে ওলালোঁহি, সেই হে।

চম্পা।—আনকাল নমতাকৈ তই জানো মোৰ ওচৰলৈ কেতিয়াও নাহ?

ৰংদৈ।—আহোঁ, আইদেউ!

চম্পা।—পিচে? এইবোৰ নো কি বলকিছ! কিবা কব লগা আছে যদি, কৈ নেপেলাৱ নো কিয়?

ৰংদৈ -বাৰু, কওঁ আইদেউ! এনেকৈ ডাঙৰ কথা, এনেকৈ নিচেই সৰু কথা।

চম্পা -তোৰ এবেগেতীয়া পাতনিখন মেলিব নেলাগেচোন বাৰু। কচোন, কিনো ডাঙৰ কথা, আৰু কিনো সৰু কথা।

ৰংদৈ।—আইদেউ, বাটকুৰা চেঙেৰা ডেকা এটাই দুটোম সোণৰ মোহৰ ভাৰ বান্ধি লৈ ফুৰিছে। ভাৰত হেনো একলাখ এহেজাৰ এশ সোণৰ মোহৰ আছে।

চম্পা।—পিচে? আমাৰ হ'ল কি?

ৰংদৈ।--পিচে, আইদেও, তাক হেনো আজি যেয়ে মনৰ জোখায় ভাত এসাঁজ খুৱাব, তাকে মোহৰ খিনি দি যাব।

চম্পা।—(হাঁহি মাৰি) বেটী পাগলী! হেৰ, বাটকুৰা ডেকা এটাই অতবোৰ সোণৰ মোহৰ ক'ত পাব! আৰু, জানিবা পালেই, এসাঁজ ভাতত একলাখ সোণৰ মোহৰ দিবলৈ ওলোৱা বলিয়া কোন আছে?

ৰংদৈ।—এ আই! আইদেৱে মিছা যেন ভাবিছে সেটো নহয়, ভাৰে সৈতে বাটচ'ৰাতে বহি আছে। লাগিলে, এতিয়াই মাতি আনিবগৈ পাৰোঁ।

চম্পা।—(আচৰিত হৈ মনতে) কিনো কথা বোলে! ইনো ক'ৰ বাটৰ বলিয়া ওলালহি! (ফুটাই) বাৰু, চাওঁৰেইচোন, আন মাতি বুলনিলৈকে। মেয়ো গৈছোঁ তালৈকে।

ৰংদৈ।--ভাল আইদেউ। মই এতিযাই আনোগৈ মাতি। আপুনি বুলনিতে বহকগৈ।

(দুইৰো দুফালে প্ৰস্থান)

দ্বিতীয় পট

চম্পাৱতীৰ বুলনি ঘৰ

চম্পা।—(প্ৰৱেশ) কিনো কথাঐ। কৰ নো ডেকা ওলালেহি এইটো? অতবোৰ সোণৰ মোহৰ সি পাব ক'ত? মিছা বুলিবলৈকো, ৰংদৈৰ মুখৰ কথা। তাই কেতিয়াও মোৰ আগত মিছা কথা নকয়। আৰু, তাই তেনে চতৰ-বতৰ তিৰোতা নহয়। (টলকা মাৰি বৈ) বাৰু, সঁচাই যেনিবা; মতাইছোঁ নো কিয়? সামান্য মানুহৰ দৰে আমি তো আৰু বাটকুৰা এটাক ভাত এসাঁজ খুৱাই ধন লব নোৱাৰোঁ। লোকে শুনিলে কি বুলিব! নাক-কাণ কটা কথা।

(টেটোনৰে সৈতে ৰংদৈৰ প্ৰৱেশ)

ৰংদৈ।— এইটো, আইদেউ, চাওক, মিছা ভাবিছিলে।

টেটোন।—(কানৰপৰা ধনৰ ভাৰখন পেলাই) উঃ! হৰি গুৰু বান্ধৱ কৃষ্ণ গোবিন্দ মোৰ স্বোৱামী! ৰাম, ৰাম, ৰাম!—এ, এই ঘৰত বহিবৰো দিহা নাই! (ওচৰতে তুলি থোৱা বৰপীৰাখন নিজে পাৰি লৈ বহে)।

চম্পা।—(সামান্য মানুহ টেটোনক বৰপীৰাত বহা দেখি লাজ পাই আঁতৰি যাব খোজে) হৈছে আৰু, দেখিলোঁ। ৰংদৈ, তাক যাবলৈ ক।

টেটোন —ই-এ! 'যাবলৈ ক' আকৌ কি! ভাত এসাঁজ খুৱাই ধনখিনি লবলৈ মাতিছে বুলি মাতি আনিছে। এতিয়া আকৌ টাং-বাংখন কিহৰ? মানুহক এইদৰে লাঞ্ছনা কৰাটো জানো ভাল মানুহৰ দস্তৰ? নেলাগে যদি, অইনৰ ঘৰত দিমগৈ, কি আছে! একলাখ সোণৰ মোহৰ দিনো ভাত এসাঁজ নেপাম বুলি জানিছা নে? তথাপি, বাটৰুৱা মানুহক এইদৰে লঘু কৰিবহি নেলাগে। মই হলে এই কথা ঘৰে-ঘৰে বিকাই ফুৰিম।

চম্পা।—(মনতে) ঔ আই! ইয়াৰ মুখখন দেখোন লাওপাত-কচুপাত! ই বিকাব লাগিলে মোৰ নাক-কাণ নাথাকে আৰু! তাতোকৈ দেউতাই শুনিব লাগিলে হে মৰিলোঁ! (ফুটাই) বাৰু, ৰংদৈ, সোধচোন, সিনো ক'ত পালে ইমানখিনি ধন।

টেটোন।—'ই' 'সি' কৰাটো ভাল নেদেখায়। লাখটকীয়া ভাত এসাঁজ খোৱা মানুহ এজনৰ মান-মৰ্য্যাদালৈ চাব লাগে। এই ধনেৰে মোক কোনে মান ধৰিছে জানিছা নে?—ন্যায়সোধা ফুকন ডাঙৰীয়াই।

ৰংদৈ।—ঔ আই! আইদেউ, ঘৰৰে ধন দেখোন।

চম্পা।—(ৰংদৈৰ প্ৰতি) বাৰু, তই থাক মনে-মনে! (টেটোনৰ প্ৰতি) ডাঙৰীয়াই নো অতখিনি ধন দি কিয় মান ধৰিলে? ন্যায়সোধা ফুকনৰ মান খোৱা মানুহ আজি হে দেখিলোঁ!

টেটোন।—(হাঁহি মাৰি) হুঁ, ইমানতে আচৰিত হ'ব নেলাগে! ডাঙৰীয়াই ইয়াতকৈও ডাঙৰ মান আমালৈ থৈছে হ'বলা।

ৰংদৈ।—বাৰু, থোৱাঁ সেইবোৰ কথা। তুমি এতিয়া এই ধনেৰে কৰিবা কি?

টেটোন—কৈছোঁ নহয়, বোলোঁ, যেয়ে আজি মোক মনৰ জোখায় ভাত এসাঁজ খুৱাব, তাকে ধনভাৰ দি যাম।

ৰংদৈ।—আইদেউ! ঘৰৰে ধনখিনি! অলপ কথাতে যায় এতিয়া!

চম্পা।—এই জনী পাগলী হ'ল নে কি! ঘৰৰ ধন হ'ল বুলি এতিয়া বাটৰুৱা এটাক ভাত এসাঁজ খুৱাই লব পাৰি নে? তাৰ মুখেই কাইলৈ গোটেইখনত ফাটি-ফুটি নোলাব নে?

টেটোন।—সন্তোষ মনেৰে যাচি দিয়া হয় যদি, বাটৰুৱাৰ ধন ললে নো কি দায় আছে? আৰু, এইটো বিকাবলগীয়া কথা নহয়। ভাত সাঁজ মনোমত হয় যদি নো বিকাম কিয়?

ৰংদৈ।—এৰা, আইদেউ, কোনে নো জানিব? তেওঁ ভাৰ লৈ ভিতৰলৈ অহা কোনেও দেখা নাই!

টেটোন।— আৰু, এই ভাৰখনত ধনেই আছে নে বস্তুৰেই আছে, মই কাকো কবলৈকে পোৱা নাই নহয়। পোনেই ওলাই আহিয়েই তোকে হে দেখা পাই-ছিলোঁহি বাই! ভাতসাঁজ আৰু ধনগালৰ কথা ইয়াতে হে যি ওলাল, আনক কবলৈ নো কি দৰ্কাৰ পৰিছে?

চম্পা।—(মনতে) আন কেৰে নাজানিলে ৰাখিব পাৰি হ'বলা ধনখিনি। (ফুটাই) বাৰু, দে দিহা লগাই, খাওক এসাঁজ।

ৰংদৈ।- বাৰু, কওঁগৈ তেনেহলে চাংমাইক ভাত দিবলৈ।

টেটোন।—ঔ ৰাম! পোনেই ভাত বুলিয়েই ভাত নে? এই ফালে মানুহৰ গা-পা ধোৱাৰ দস্তৰ নাই হ'বলা?

চম্পা। ৰংদৈ, পানী দে বাৰু, গা ধুই লওক।

ৰংদৈ।—সোৱা নহয় পানী। চোঁতালৰ আগত দিয়াই আছে। ধুলেগৈয়ে হয়।

টেটোন।—ধুলেই হয় নুবুলি, ধুৱালেই হয় বুলিলে হে আছিল ভাল। লাখটকীয়া ভাতৰ পাতত বহিবলৈ আকৌ নিজে গা ধুব লাগিব নে?

ৰংদৈ।—অ, মই ধুৱাই দিব লাগে?

টেটোন।— বাৰু, তয়ে লাখটকীয়া আইদেউ হ'ব পাৰ যদি, দেহি ধুৱাই, একো কথা নাই।

ৰংদৈ।—এ, আমি কেনেকৈ হম আইদেউ! আমাৰ ইমানটো ভাইখ্ কাহানি হব! পিচে, আইদেউ! কি বোলে এতিয়া? মোৰ মনেৰে দিয়কগৈ পানী-কলহ ঢালি, কোনে নো দেখিবলৈ আহিছে?

(টেটোনক) ভকত! যোৱাঁ, বহাঁগৈ সৌ গা-ধোৱা পীৰাতে। মই যাওঁ, ভাত আনিবলৈ কওঁগৈ।

(ৰংদৈৰ প্ৰস্থান, টেটোনে গাৰ কাপোৰ-কানি থৈ গা ধুবলৈ ভিতৰ সোমাই বহেগৈ)

চম্পা।—(নেপথ্যত, চম্পাই ইফালে-সিফালে চাই লৰা-লৰিকৈ গৈ পানী ঢালি দি আহি লাজত তলমূৰকৈ এফলীয়া হৈ ৰয়)

টেটোন।—(নেপথ্যত) অহ! আজি হে শুচি হলোঁ! আজি মোৰ শিৰত শান্তিপানী পৰিল! (ডাঙৰকৈ) এইখন দেশত তিতা-তিয়নীৰেই থাকে হ'বলা মানুহ? (ৰংদৈ আৰু চাংমায়ৰ প্ৰৱেশ। ভাত সজাই থৈ চাংমায়ৰ প্ৰস্থান)

ৰংদৈ।—(বাহিৰৰপৰা) কি হৈছে, কি হৈছে?

টেটোন।—(নেপথ্যৰপৰা) বোলোঁ, তিতা-তিয়নীৰেই ভাতৰ পাতত বহিবগৈ লাগিব নে?

চম্পা।—ৰংদৈ, তাৰ চুৰিয়াখন আনি দে।

ৰংদৈ।—(চুৰিয়া নি নেপথ্যত দাঙ্গি ধৰি) সলোৱাঁ এইখন।

টেটোন।—(নেপথ্যত) ইঃ! লাখটকীয়া ভাতৰ পাতত বহিবলৈ মই এতিয়া নিজে হে তিয়নী সলাই যাম?

ৰংদৈ—(নেপথ্যত) অ, মই সলাই দিবগৈ লাগে?

টেটোন।—লাখটকীয়া আইদেউ হ'বলৈ তোৰ ভাইগ্‌ নাই বুলিছ নহয়?

ৰংদৈ।—(নেপথ্যত) আইদেউ! শুনিছেই নহয়? গা ধুৱাই দিলেই; দিয়কহি চুৰিয়াখনো সলাই, কোনে নো দেখিবলৈ আহিছে?

চম্পাই (চুচুক-চামাককৈ কাষ চাপি গৈ চকু-আঁখি মুদি তিয়নী সলাই দি আহি লাজত মুছ্‌কঁছ্‌ যায়)

(আৰু পট দাঙ্গি দিয়া হয়)

ৰংদৈ সোৱা, বহাঁগৈ এতিয়া ভাতৰ পাতত। (টেটোনে পলম কৰা দেখি) যোৱাঁ আকৌ, কিনো গুণিছা? এতিয়া ধনলৈ মোহ লাগিছে হ'বলা-?

টেটোন।—বহোঁগৈ বাৰু। ধনৰ মোহ নাই আৰু; মোহ বাঢ়িছে ধনৰ গৰাকীয়নীলৈ হে। (লাহে লাহে গৈ ভাতৰ পাতত বহি বৈ থাকে)

ৰংদৈ।—খোৱাঁ আকৌ, বৈ আছা কেলেই? তোমাৰ আল-পৈচান ধৰি আৰু আমনি লাগিছেহি দেও!

টেটোন।—ইমানতে আমনি! একলাখ টকাৰ ভাতগাল আগত পাইছোঁ, তাকো এতিয়া মই নিজেহে খাব লাগে?

ৰংদৈ।—কিনো বিলায়ে পালে! আইদেউ, কি কৰে এতিয়া? গোট্‌কড়াই গোটে গোটে চোবাই গুৰি কড়াইত দাঁত ভাঙ্গে নে এতিয়া? দিয়কগৈ খুৱাই এগৰাহ; কোনে নো দেখিবহি?

চম্পা।—(আপোনা-আপুনি) আজি মোৰ গ্ৰহ মন্দ! (অগত্যা এখুজি-দুখুজিকৈ গৈ ভাত এগৰাহ কটিয়াই দি আঁতৰি আছে)

টেটোন।—(বাকী ভাত নিজে খাই উঠি তিনটা ফুটাই উগাৰ মাৰি, তামুলি পীৰাখন পাৰি বহেগৈ) উঃ, ৰাম! খুৱালে ভাতসাঁজ যি খুৱাব লাগে। আজিহে মোৰ আত্মা তুষ্ট হ'ল। একলাখ টকাতকৈও লাখগুণে বেছি দৰৰ ভাতসাঁজ পোৱা গ'ল।

ৰংদৈ।—(বটালৈ আঙ্গুলিয়াই) সেয়া, তাৰে এখন তামোল খোৱাঁ। যাবাঁগৈ হে এতিয়া দেই।

টেটোন।—এৰা, গৰু-চোৰ হ'বলৈ ভাল হ'ল, পঘা ধৰিবলৈ লাজ লাগিছে? ভাত খুৱাই দি তামোলখন খুৱাবলৈ টান পাব নালাগে। নহলে, এফেৰি-মানতে এতিয়া ভাতসাঁজ মোৰ মনৰ জোখাৰ নহ'ব পিচে!

ৰংদৈ।—আইদেউ! তেনে হলেতো সোপাই গ'ল! দিয়ক খুৱাই; নেদেখে কোনেও।

চম্পা।—(চকু-আঁখি মুদি তামোল এখন টেটোনৰ মুখত গুজি দি আঁতৰি ভিতৰলৈ লৰ মাৰে)।

ৰংদৈ।—এৰা, আইদেউ গলেই। ময়ো যাওঁ, থং কৰিব দেও! তুমি যাবাগৈহে এতিয়া ভকত!

টেটোন।—বাৰু, ময়ো যাওঁ;—আকৌ আহিম। সেই ধনৰ টোম দুটা সুমুৱাই থবলৈ কবি আইদেৱৰাক।

(প্ৰস্থান)

বংদৈ।—ঐ আই! এতিয়াহে মৰিলোঁ! আকৌ আহিবগৈ হেনো!

(চম্পাৰ পুনঃ প্ৰৱেশ)

চম্পা।—হেৰ বংদৈ, গ'ল নে? গ'ল নে? সেই আপদটো গ'ল নে?

বংদৈ।—আইদেউ! আপদ বেগাই নেৰাইছে এথোন। আকৌ আহিব বুলি হে কৈ গৈছে।

চম্পা।—বাৰু, আহকগৈ, এইবাৰ সি বাটচ'ৰাৰেপৰা গঁটা খাব।

বংদৈ।—এৰা, কিনো আপদটো চাপিছিলহি জানো! খাবলৈ পাই তাৰ নটা লাগিল।

চম্পা।—বাৰু, থ সেইবোৰ কথা। চুৰা ধুই ঠাইখন সাৰি-পুছি চকা কৰ। চাওঁ, ধনখিনি মই থৈ দিওঁগৈ। ইয়াৰ বাবেই আজি অত লাঞ্ছনা! (টোম এটা দাঙ্গি চাই) আও লৰাবই নোৱাৰি! (কেঁকোজেকোকৈ ধনৰ টোম দুটা ভুবেলি ভিতৰলৈ চোঁচোৰাই লৈ যায়)।

বংদৈ।—(চুৰা ধুই, ঠাই গাৰি, বাতি-কাঁহী, চৰা-পীৰা এটা-এটাকৈ ভিতৰলৈ নি ভোৰ্‌ভোৰায়) ভাল জানিবা বেলি-দুপৰলৈকে পেটুনাডী ছিঙ্গি মৰিবলৈ কপা-বিধতাই লিখিলে! নেওচা-কেওচা দিবলৈ বহি, মৰিও নেযাওঁ!

(প্ৰস্থান)

তৃতীয় পট,—ৰজাৰ বিচাৰ-চ'ৰা

(ৰজা আৰু ন্যায়সোধা ফুকন)

ৰজা—ডাঙৰীয়া, আজি কেদিনমানৰপৰা তোমাক বৰ চিন্তাযুত দেখিছোঁ দেখোন?

ফুকন।—সঁচা স্বৰ্গদেও! আজি কিছুমান দিনৰপৰা মোৰ গ্ৰহ মন্দ হোৱা যেন পাইছোঁ। আৰু, কেদিনমানৰপৰা তাৰ অশুভ ফল ফলিয়াবলৈ ধৰিছে। সেই কাৰণে, আজিকালি মোৰ গা-মন ভাল পোৱা-নাই।

ৰজা।—হওঁতে হয়, দিন চাৰেকৰপৰা তোমাক ম্লান পৰি অহা দেখিছোঁ। কিয়নো গা-মন ভাল নাথাকে তাৰ কাৰণ বুজিব পৰা নাই নে?

ফুকন।—কিয় নুবুজিম স্বৰ্গদেৱ! দেখিছেই নহয়, সিদিনা অবাবত সিমানখিনি ধন ভৰণি হ'ল!

ৰজা।—অ, নহয়, সেই বাবে তুমি খেদ নকৰিবাঁ। তুমি অবাবত ভৰণি বুলিছা, কিন্তু তাৰ কিবা এফেৰি মহৎ উদ্দেশ্য আছে। 'যি কৰে ঈশ্বৰে, মানুহৰ ভাললৈ হে।' এই কথাৰ ওপৰত বিশ্বাস ৰাখি চলিবাঁ, অৱশ্যে গা-মন ভাল পাবাঁ।

ফুকন।—স্বৰ্গদেৱৰ বুজনি অতিশয় সাৰুৱা। কিন্তু মনে যে নেমানে!

ৰজা।—মানিব লাগিব মনে। তুমি বেচকৈ বুজিবাঁ, ডাঙৰীয়া, সকলো অভ্যাসৰ তল।

ফুকন।—ভাল, স্বৰ্গদেৱৰ উপদেশ শিৰোধাৰ্য্য

ৰজা।—তোমাৰ সংকল্প যেন সফল হয়।

(টেটোনৰ প্ৰৱেশ)

টেটোন।—(আঁঠু লৈ) স্বৰ্গদেৱ-ঈশ্বৰ! আৰু ডাঙৰীয়া-দেউতা!

ফুকন।—(চক্‌খাই উঠি, মনে মনে) পালেহি আকৌ আপদটোৱে! আজি বা আছে কপালত কি, ঈশ্বৰে হে জানে। (ফুটাই) হেৰ, কোন্ তই? কিয় আহিছ?

টেটোন।—(মনতে) ঐ ৰাম! আজিচোন একেটা উশাহতে দুটা প্ৰশ্ন! (ফুটাই) ডাঙৰীয়া-দেউতাই ওপৰলৈ উধাইছেমানে তললৈ নমনা হৈ হে গৈছে! দেউতাই মোক চিন্ ধৰিব পৰা নাই নে? মই সেই যে মই। এইবাৰৰে সৈতে তিনিবাৰে নিবাৰ কৰোঁগৈ বুলি আহিছোঁ।

ৰজা।—অ, মই চিনিছোঁ তাক। সেই তিনিখনীয়া গোচৰত পৰা টেটোন বোলা ডেকাটো। আৰু, সিদিনা, ডাঙৰীয়া, তোমাৰপৰা যে একলাখ টকা লাভ কৰিছিল, সেই ডেকাটোৱেই এইটো।

টেটোন।—এৰা! স্বৰ্গদেৱ-ঈশ্বৰ হলে উধাইছেমানে তললৈ

মনা গুণটি চৰি হে আহিছে! স্বৰ্গদেৱে বন্দীৰ নামটোও মনত ৰাখিছে। মোৰ বৰ ভাগ্য!

ৰজা।—হেৰ কটা, তোৰ নামেই টেটোন নহয় নে?

টেটোন।—হয়, স্বৰ্গদেৱ-ঈশ্বৰ! আগলৈকো বন্দীৰ নাম নেপাহৰে যেন।

ফুকন।—(মনতে) আজি ই তিনিবাৰে নিবাৰ কৰে নে, মোক নিপাত কৰে বুজিব পৰা নাই। ই মাত মাতিলেই মোৰ মতিভ্রম হবলৈ ধৰে দেখোন! যি হওক, বিপদত ধৈৰ্য্য ধৰাই হে যুক্তি। (ফুটাই) কটা, তই ঘনাই আহিছ কিয়? তোৰ উদ্দেশ্য কি?

টেটোন।—এ, শুনিছোঁ স্বৰ্গদেৱৰ দিনত বোলে প্ৰজাই 'ৰামৰ ৰাইজ' পোৱাদি পাইছে। যাৰ যি বিচাৰ কৰাব লাগে, তাক ততালিকে আৰু নিয়াৰিকৈ সুধিবৰ নিয়ম হৈছে বোলে। পিচে, এবাৰতকৈ যে আৰুবাৰ আহিবৰ নিয়ম নাই, সেইটো মই নেজানো। নিয়ম নাই যদি, এতিয়াও গুচি যাওঁ তেন্তে কি আছে!

ৰজা।—অ, নহয়। বিচাৰৰ নিমিত্তে মোৰ চ'ৰালৈ কুৰিবাৰ আহিলেও হানি নাই। ডাঙৰীয়া, সোধঁা, তাৰ কি কবলৈ আছে।

ফুকন।—(আতঙ্ক চিতেৰে) বাৰু, কচোন হেৰ, তোক কি লাগে।

টেটোন।—(মনতে) লাগে ডাঙৰ বস্তুকে। সিবাৰতকৈ লাখ-লাখ গুণে ডাঙৰ। (ফুটাই) থৰ-ধৰ নকৰিব, দেউতা, ধীৰে-শাঁতে শুনক। মই গোটাচেৰেক আউল-লগা কথা মীমাংসা কৰাবলৈ আহিছোঁ।

ফুকন।—(অধৈৰ্য্য আৰু আওকণীয়া হৈ) বাৰু, কৈ যা তোৰ কি কব লগা আছে।

টেটোন।—এটা-এটাকৈ হে জনাব পৰা হ'ব। আৰু, এটা-এটাকে হে মীমাংসা কৰিব লাগিব।

ফুকন।—বাৰু, তই কৈ যাচোন।

টেটোন।—ভাল দেউতা-ঈশ্বৰ! পোনেই সোধোঁ কাক কোনে গা ধুৱাই দিয়ে?

ফুকন।—আপদে-বিপদে বা ৰঙ্গে-ধেমালিয়ে ঘৈণীয়েকে নিজৰ গিৰিয়েকক গা ধুৱাই দিব পাৰে। কিনো বৰ কথাটো, তাকে ৰজাৰ আগত বিচাৰিবলৈ আনিলি?

টেটোন।—নহয় দেউতা, ৰজাৰ আগত কোৱা কথা বুলিলে শিলৰ ৰেখ যেন হয়। সেই হে—

ৰজা।—বাৰু, সোধাত বেয়া হোৱা নাই।

ফুকন।—আৰু তাৰ পিচে?

টেটোন।—তাৰ পিচে, দেউতা-ঈশ্বৰ, কাক কোনে তিয়নী সলাই দিয়ে?

ফুকন।—(অলপ হাঁহি) সেইটো আৰু নিজৰ ঘৈণীয়েকত বাজে আন কোনে কৰিব?

টেটোন।—ভাল দেউতা, আমনি নেপাব; আকৌ সোধোঁ, কাক কোনে ভাত খুৱাই দিয়ে?

ফুকন।—সেইটোও একে লগৰে কথা।

টেটোন।—তাৰ পিচে, দেউতা-ঈশ্বৰ! কাক কোনে তামুলিপীৰাত বহুৱাই তামোল খুৱাই দিয়ে?

ফুকন।—এঃ, একেবিধ কথাকে কি পাগুলি থাকে এইটোৱে! হেৰ, সেইটো ব্যৱহাৰ বিষয়ানীয়ে বিষয়াক কৰে।

টেটোন।—আৰু এটা হে আছেগৈ, দেউতা, আমনি নেপাব, বোলোঁ, কাৰ ধন-সোণ কোনে সামৰি থয়? হ'ল আৰু, দেউতা, খতম্।

ফুকন।—হেৰ, সেইটো নিজৰ গৃহিণীৰ কৰ্ম্ম। তাকো সুধিব লাগিছে নে?

টেটোন।—ভাল, এতিয়া সোধোঁ, মোৰ প্ৰতিও ওপৰত কোৱাৰ নিচিনা ব্যৱহাৰ কোনোবাই কৰে যদি, তেওঁ মোৰ কি হ'ব?

ৰজা।—(হাঁহি মাৰি) কটা, ই বৰ ধেমেলীয়া ডেকা! হেৰ, ময়ে কৈছোঁ, তেনে জনী তোৰ ঘৈণী হ'ব।

টেটোন।—ভাল, স্বৰ্গদেৱৰ কথা যেতিয়া সি শিলৰ ৰেখা হ'ল! পিচে, মাৰক বা কাটক, এতিয়া আচল কথা কওঁ, ডাঙৰীয়া-দেউতাৰ লগত বন্দীৰ জোঁৱাই সম্বন্ধ ঘটিছে।

ফুকন।—(জলি উঠি) ঐ কটা, চুৱাখোৱা কুকুৰে চল পাই চুবলৈকে আহ দেখোন!

টেটোন।—দেউতা, খং কৰে কিয়? মই ইয়াৰ আগেয়ে কৈ অহা কথাখিনিৰ সন্তেদ্ লৈ চালেই বুজিব, এই নিচলা ডাঙৰীয়াৰ ঘৰ-জোৱাঁই হওঁ নে নহওঁ। সৰহ নকওঁ, ডাঙৰীয়াৰপৰা মই সিদিনা নিয়া একলাথ-এহেজাৰ-এশ মূল্যৰ সোণৰ মোহৰ কাৰ পেৰাত ওলায়, ঘৰত গৈ চালেই হ'ব।

ফুকন।—(উগ্ৰমূৰ্ত্তি) ঔ কটা, তই ইমান পালিহি! ইমান কথা কবলৈ তোৰ সাহ! এতিয়াই যমপুৰীলৈ পঠিয়াম বুলি জনা নাই তই! (মাৰিবলৈ উঠি যায়)

ৰজা।—ক্ষান্ত হোৱাঁ ডাঙৰীয়া! মোৰ কথা শুনা। সি ভালেই কৈছে। তুমি আগেয়ে কথাবোৰৰ আচল তত্ত্ব লৈ চোৱাঁ। যদি তাৰ কথা সত্য হয়, তেন্তে তুমি খং কৰা মিছা।

ফুকন।—কিনো কম স্বৰ্গদেৱ। এতিয়া হে মোৰ ভাল খ্যাতি আহিল! ইয়াতকৈ মই মৰি যোৱাই ভাল।

ৰজা।—আক্ষেপ নকৰিবাঁ ডাঙৰীয়া! মই কৈছোঁ নহয়, বোলোঁ, যি কৰে ঈশ্বৰে, মানুহৰ ভালৰ নিমিত্তে হে। ইয়াৰপৰা কি জানি তোমাৰ কিবা এটা ভাল হবলৈ হে আছে। অধৈৰ্য্য নহবাঁ।

ফুকন।—(অলপ শান্তমুৱা হৈ) যি বোলে স্বৰ্গদেৱে! মই নো কি মাতিম আৰু!

ৰজা।—আৰু এটা কথালৈ মন কৰিছা নে?—ডেকাটিৰ কেনে বিচক্ষণ বুদ্ধি! বুদ্ধিৰ বলত অসম্ভৱ সম্ভৱ হয়। আৰু, ইয়াৰ নিচিনা অকাট্য যুক্তি কেইটাৰ-পৰা শুনিবলৈ পাইছিলা? মোৰ বোধেৰে ই সাধাৰণ মানুহ নহয়। ই নিশ্চয় বকৰাণিত গজা ভাল আমৰ পুলি। আৰু, ই বুদ্ধিৰ বলত যে তোমাৰ ঘৰত গৈ তামুলিপীৰা পালে, সেই বাবে ইয়াক আজিৰপৰা মই 'তামুলি' খিতাপ দিলোঁ। এতিয়াৰপৰা ইয়াৰ নাম "টেটোন-তামুলি" হ'ল। আশা কৰোঁ, এতিয়া আৰু তোমাৰ আইদেউক এই ডেকালৈ বিয়া দিয়াত তোমাৰ কোনো আপত্তি নাথাকিব। লোকনিন্দালৈকো বাট নহব। কিয়নো, এইটো ৰাজ-উপদেশ হ'ল।

ফুকন।—(আনন্দ মনেৰে) ভাল, স্বৰ্গদেৱে ভাল বুলিলে নো আৰু বেয়া বোলোঁতা কোন্ আছে! বোলে, "ৰজাই ভাল দেখে যাক, ভেঁটিও নালাগে তাক।" মোৰ মন এতিয়া মুকলি লাগিছে, স্বৰ্গদেৱ!

ৰজা।—ডেকা-তামুলিয়ে এতিয়া ডাঙৰীয়াৰ লগতে তেওঁৰ ঘৰলৈ গৈ, যথাবিধি শুভ কাৰ্য্য সমাধা কৰিবলৈ ধৰাঁগৈ।

টেটোন।—ভাল, স্বৰ্গদেৱ-ঈশ্বৰ! আগলৈকো এই অনু-গ্ৰহৰ ধাৰ নিছিগে যেন! ডাঙৰীয়া-দেউতা আজিৰপৰা মোৰ ধৰম পিতৃ-দেৱতা হ'ল।

অঙ্কপাত

পঞ্চম অঙ্ক

প্ৰথম পট,—ফুকনৰ পদূলি

(ৰংদৈয়ে পদূলি সাৰি থাকে; এজনী গঞানী প্ৰৱেশ কৰি, পদূলিৰ আগেদি পথাৰলৈ যায়)

গঞানী।—অ, ৰংদৈ বাই! কি কৰিছ?

ৰংদৈ।—এ, যি কৰিব লাগে, তাকে কৰিছোঁ, নেদেখিছ? বিয়াৰ পাচত, পদূলিটো অৰণ্য হৈ আছিল, তাকে সাৰিছোঁহি।

গঞানী।—এৰা, আইদেউৰ বিয়াখন লাচতে পাৰ হৈ গ'ল, বাই!

ৰংদৈ।—এৰা, ডাঙৰীয়া-বিয়ৰা ঘৰৰ বিয়া বুলিলে এনেকুৱাই; হ'ব লাগে বোলোঁতেই ঘপহকৰে হৈ যায়। ৰজাই ব বোলোঁতেই বৈ যায়; বিষয়াই ব বোলোঁতেই বৈ যায়।

গঞানী।—আইদেউৰ মনটিলৈ চাই হলে, আগডোখৰত বিয়া নহ'বগৈ বুলি হে ভাবিছিলোঁ।

ৰংদৈ।—এৰা, নাম-গুৱি নোহোৱা বাটৰুৱা বোটলা ডেকা এটাৰে সৈতে মন্ত্ৰী ডাঙৰীয়াৰ জীয়াৰী আইদেউৰ

বিয়া হ'ব বুলিনো কোনে জানিছিল ? সেই বিয়াৰ কথন-মথন শুনি আইদেউ কান্দি-কাটি বাউলীটি হৈছিল !

গঞানী ।—এতিয়া পিচে? আইদেউৰ মনটি কেনে দেখিছ ?

ৰংদৈ ।—কেনে হ'ব আৰু ; বিয়া দিলে যেতিয়া পিতলেই সোণ হ'ল। এতিয়া দুইৰো বৰ মিল, বৰ চেনেহা-চেনেহী।

গঞানী ।—ডেকাটি হলে বেয়া নহয় দেই, বাই। দেখিব-লৈকো শুৱনি ; আৰু বৰ ৰঙ্গিয়াল।

ৰংদৈ ।—ভাল তো। এতিয়া যে বিষয়াৰ সাজ-পাৰ পিন্ধি আৰু ভালটি হৈছে। আগেয়ে টোকোনা সাজে হে ফঁফৰীয়া কৰি থৈছিল, এতিয়া গোটেই ধুনীয়া ডেকাটি !

গঞানী ।—নহব নো কিয়,—বিধতাই পতা যোৰা। বোলে, কুঁজীলৈ কুঁজা, বান্দীলৈ বন্দী, কুঁৱৰীলৈ কোঁৱৰ বিধতাই যোৰা পাতি থৈছেই।

ৰংদৈ ।—মোকেচোন ধৰিবি সেই বিধতা বুলি। মই হে পাতিলোঁ তেও এইটো যোৰা।

গঞানী ।—এৰা, নেলাগে কব ; সোপাকে শুনিছোঁ। সঁচা, তই হে আচল গুৰি। আৰু, শুনিছোঁ, জোৱাঁই-বিষয়া বোলে বৰ বুধিয়ক আৰু কথকী। বোলে, "নাই পো লনি, নাই পো ধনী, নাই পো কথকী।" সেই হে ইমানটো ভাইগ্।

ৰংদৈ ।—সঁচা, সেই তিন গুণৰ গুণত হে দিপ্‌লিপ্ গাভৰু আইদেউক তেওঁ কন্যা পালে। বুধিয়ক আৰু কথকী বুলি কব লাগিছে নে? নহলে নো দেউতাৰ ধনেৰে দেউতাকে বেহাই আৰু ৰজা-ডাঙৰীয়া দুইকো কথাৰ পাকেৰে মেৰাই বান্ধখুৱাই এনে হেন মন্ত্ৰীৰ জীয়াৰীক কন্যা পায় নে?

গঞানী ।—হক, হক, "যি কৰে ঈশ্বৰে মানুহৰ ভাললৈ হে।" তাত গা-ঘঁহনি খালেও পুইণ হয়, বাই ! তোৰো পুইণ হৈছে, জানিবি।

ৰংদৈ ।—পুইণ হলে নো কি হ'ব? আইদেউৰ নিচিনা ভাইগ্ হ'ব বুলিছ নে?

গঞানী ।—হ'বও পাৰে। একো টান কথা নহয়, বাই !

ৰংদৈ ।—(হাতৰ শোটাটো মুৰৰ ওপৰলৈ তুলি পাক্ দি দি নাচি-বাগি) উ-উ-উ, এতিয়াহে "কুঁজী বাই বোলে বছৰীয়া" হলোঁ! (গঞানীৰ ডিঙ্গিত ধৰি চেও থয়)

গঞানী ।—(উলটি ৰংদৈৰ ডিঙ্গিত ধৰি চেও থৈ) হবি, হবি, বাই, যাওঁগে, যা।

(দুইৰো দুফালে প্ৰস্থান)

দ্বিতীয় পট,—গাভৰু-টোলৰ বিলাহ-ঘৰ

(টেটোন-তামুলি আৰু চম্পাৱতী)

টেটোন ।—প্ৰিয়া ! সেই দিনাৰ কথা এতিয়া মনত পৰে নে? (অলপ বৈ, চম্পাই উত্তৰ নিদিয়া দেখি) সাদৰি ! নামাতা নো কিয় ? সদায় আৰু ন-কন্যা ভাৱেই দিন যাব নে?

চম্পা ।—কেনে নো ন-কন্যা দেখিছে বা ?

টেটোন ।—সেয়া দেখোন ওলাল মাত। নামাতা দেখি হে ন-কন্যা বুলিছিলোঁ, বেয়া নাপাবা দেই। বোলোঁ, সেই দিনাৰ কথা মনত পৰিলে এতিয়া কেনে লাগে ?

চম্পা ।—কোন্ দিনৰ বা কথা ?

টেটোন ।—সেই লাখটকীয়া ভাত-সাঁজ খুৱাবৰ দিনা যে মোৰ ছঁয়াকে নসহিছিলা !

চম্পা ।—কিবা কথাবোৰ উলিয়াই থাকে ! নোৱাৰোঁ কব আমি সেইবোৰ কথা !

টেটোন ।—(হাঁহি হাঁহি) নোৱাৰা কব ? ইমান বেগাই পাহৰিলা নে?

চম্পা ।—জানো !

টেটোন ।—অ, এতিয়া জানৰ পানী খোৱাত হে পৰিল ? জানিছোঁ বাৰু, এতিয়া সেইবোৰ কথা শুনিবলৈ বেয়া পোৱা ; নকওঁ বাৰু, বেয়া নাপাবা দেই।

চম্পা ।—আমি একো বেয়া পোৱা নাই।

টেটোন ।—বেয়া পোৱা নাই যদি উত্তৰ নাই কিয়?

চম্পা ।—সুধি আছেযানে দেখোন কৈয়ে আছোঁ।

টেটোন।—নহয়, সাদৰি, থং নকৰিবাঁ। প্ৰশ্ন চাই উত্তৰ হোৱা নাই দেখি হে কৈছোঁ।

চম্পা।—থং কৰা দেখিছিলে বা কেতিয়া? কেনে প্ৰশ্নৰ কেনে উত্তৰ হ'ব লাগে আমি ভু নাপাওঁ।

টেটোন।—নাই কৰা থং কেতিয়াও। এতিয়াৰ কথাত থং উঠে বুলি হে কৈছিলোঁ। আমনি নাপাবা, প্ৰাণেশ্বৰী, মই এটা কথাৰে সুধিলে যেন তোমাৰ পৰা দহোটা কথাৰে উত্তৰ পাম, এনে হে মোৰ প্ৰাণৰ হাবিয়াহ্।

চম্পা।—আমাৰ পেটত সিমানবোৰ কথা হ'লে হে আকৌ!

টেটোন।—কথাৰ জোলোঙা উদং হয় বুলি ভয় কৰিছা হ'বলা?

চম্পা।—জানো কি কয়! আমি নুবুজোঁ সেইবোৰ।

টেটোন।—বুজিবা কালত। বুজি আকৌ বুজাবলৈ হে চাবাঁ। পিচে, মোৰপৰা কিনি মোকে নেবেচিলে হে আছে। একেই মন্ত্ৰীৰ জীয়াৰী।

চম্পা।—আমি মন্ত্ৰীৰ জীয়াৰী বুলি কাৰো আগত গপ্ কৰা নাই। তামুলি ফুকন হৈ নিজৰ হে গপ্ হৈছে হ'ব পায়।

টেটোন।—(আপোনা-আপুনি) ইয়াত আৰু আমাৰ টেটোনালি নাখাটে! জোঁৰৰ আগত বন্তিৰ পোহৰ যেন হে হৈ আহিছোঁ। (ফুটাই) ক'তা, মইনো কেতিয়া গপ্ কৰিছিলোঁ?

চম্পা।—নাই কৰা গপ্। সেই দেখি, আনকো গপ্ কৰা বুলি চাব মাৰি ধৰিব নালাগে।

টেটোন।—সমূলঞ্চে ঘাটিলোঁ এইবাৰ! প্ৰিয়া, তোমাৰ ওচৰত মোৰ বুদ্ধি-যুক্তিও জঁয় পৰি আহিছে!

(নেপথ্যত লিগিৰীহঁতে গীত গায়)

টেটোন।—আহা, প্ৰাণেশ্বৰী! কেনে মধুৰ গীত!

চম্পা।—সঁচা, প্ৰাণেশ্বৰ! গীতৰ কথাখিনিত মনৰ ভাবটি কেনেকৈ ফুটি ওলাইছে! আহা, শুনি হে থাকিম যেন!

টেটোন।—প্ৰিয়া! বৰ্লাচোন তালৈকে যাওঁ, চাই চাই শুনোগৈ। নাচিছেও চাগৈ।

(হাতত ধৰাধৰিকৈ দুইৰো প্ৰস্থান)

তৃতীয় পট,— ফুকনৰ বিলাহ-ঘৰ

(দুজনী গায়িকা লিগিৰীয়ে নাচি নাচি গীত গাই থাকে)

মিশ্ৰ মূলস্তান—একতালা

কি সুন্দৰ শোভা ধৰে আজি দেহি অই।
চেনেহা-চেনেহী আহা যুগল মূৰতি অই।
প্ৰাণে প্ৰাণ প্ৰাণ মিলি
ৰয় কেনে হালি-জালি;
দেখিলে জিৰণি পায় তাপিত পৰাণে অই।
আধা অঙ্গ আধা হিয়া,
হ'ল আজি একেটীয়া;
বাঢ়ে যেন দিনে দিনে বিচ্ছেদ নঘটে অই॥

(টেটোন-চম্পাৱতীৰ প্ৰৱেশ; বৰগাৰু দি পাৰি থোৱা চামৰ পীৰাত দুয়ো যোৰাপাতি বহি নাচোন চাই চাই গীত শুনে; লিগিৰীয়ে দোহাৰি দোহাৰি গায় আৰু নাচে)

যৱনিকাপাত

ভূত নে ভ্রম

প্ৰথম পাতনি

অসমীয়া সৰ্ব্বসাধাৰণৰ, বিশেষকৈ অশিক্ষিত গাঁৱলীয়া সমাজৰ মনৰপৰা ভূত-বিশ্বাসমূলক আজন্ম কু-সংস্কাৰ গুচাবৰ অভিপ্ৰায়ে সেই মূল-প্ৰসূত গোটাচাৰেক ভ্ৰম-প্ৰমাদৰ পট আঁকি, এখন নাট অসমীয়া নাটমন্দিৰত মেলাবৰ হাবিয়াহ এটা ভালেমান দিনৰপৰা লেখকৰ মনত খেলাই আছিল, 'ভূত নে ভ্ৰম' তাৰে ফল মাথোন। লেখকৰ পৰি-অহা বয়স চাই, নাটখন 'ধেমেলীয়া' উপাধি পিন্ধিবৰ যোগ্য নহব পাৰে, সঁচা, কিন্তু তাৰপৰা সমাজৰ গাত পোত খাই থকা ভূত-ভ্ৰম কিঞ্চিৎমান আঁতৰিলেও তেওঁৰ পৰিশ্ৰম সাৰ্থক হ'ব। প্ৰথম তাণ্ডৱণ ৰাইজৰ আগলৈ উলিয়াই প্ৰমাণ পোৱা হৈছে মাথোন, নাটমন্দিৰাদিত আদৃত হোৱা দেখিলে আৰু শুনিলে, সময়ত ইয়াৰ বহুল উন্নতি সাধিবলৈ মন থাকিল। ইতি—

তেজপুৰ, অসম
২১ ফাগুন, ১৮৪৬ শক

বিনীত
শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

দ্বিতীয় পাতনি

গুণগ্ৰাহী ৰাইজৰ নথৈ শলাগ লৈ 'ভূত নে ভ্ৰম' নাটকৰ দ্বিতীয় তাণ্ডৱণ উলিয়াবলৈ ওলালোঁ। কোৱা বাহুল্য মাথোন যে, ৰাইজৰ, বিশেষকৈ নাট্য-সমাজৰপৰা আদৰ আৰু উৎসাহ নোপোৱা হলে, ই ইমান সোনকালে নতুন সাজপাৰ পিন্ধি ৰাইজলৈ ওলাব নোৱাৰিলেহেতেন। এই তাণ্ডৱণত নাট-মন্দিৰৰ সুচল বঢ়াবৰ উদ্দেশ্যে ঠাই বুজি, অলপ-অচৰপ বঢ়া-টুটা কৰা হৈছে।

ৰ' তেজপুৰ, অসম
আঘোণ, ১৮৬২ শক

গ্ৰন্থকাৰ

উছৰ্গা

মোৰ পুত্ৰপ্ৰতিম

চেনেহৰ মাজিউ জোঁৱাই

শ্ৰীমান্ হৰিনাথ গগৈ, বি-এল, উকীল,

. গগৈদেৱৰ কণ্ঠত

ইধাৰি

অপত্য স্নেহৰ সূতাৰে গঁথা

আশীষ্-মালা।

গ্ৰন্থকাৰ

ভাৱৰীয়াবিলাক

ভূতনাথ বৰুৱা, এম-এ, বি-এল,—সংস্কাৰ-সমিতিৰ সভাপতি
মুক্তিনাথ ফুকন, বি-এ, বি-এল,— „ „ সম্পাদক
ধৰ্ম্মেশ্বৰ ৰাজখোৱা, বি-এ,— „ „ সদস্য
ফজলুৰ ৰহমান, এল, এম, এচ,— „ „ সদস্য
সোণেশ্বৰ স্বৰ্ণকাৰ, বি-এ, বি-ই— „ „ সদস্য
জালোৱা, হালোৱা, গুৱাল, গৰখীয়া. বাঁৰী, বেজ, নৰীয়া, গঞা, গঞানী, পোহাৰী, কানীয়া, ভণ্ডুৱা, সন্ন্যাসী, ছেলা, ইত্যাদি।

ভূত নে ভ্ৰম

প্ৰথম অঙ্ক

প্ৰথম পট,—পথাৰৰ বঙ্গিয়া

(হালোৱা আৰু জালোৱা)

হালোৱা।—(কানত নাঙ্গল-যুৱলি লৈ ঘৰমুৱা হৈ প্ৰৱেশ) হৰি-গুৰু-বান্ধৱ! উঃ, কেতিয়া নো পাওঁগৈ ঘৰ ঐ! ভোকে-পিয়াহে গা আচন্দ্ৰাই কৰিছে! ধুঁৱলি-কুঁৱলীখন দেখিছোঁ!

জালোৱা।—(উধাতু খাই প্ৰৱেশ) হেৰৌ, সেইটো কোন্ ঐ? কাতিয়া ককাই হব নে ঐ?

হালোৱা।—(উভতি চাই ভেকাহি মাৰি) কোন্ অ এইটো, পিচৰপৰা ভূতে হেঁকাৰাদি হেঁকাৰিছ! নহওঁ কাতিয়া, যা। নহওঁ মই তোৰ কাতিয়া-ককাই।

জালোৱা—হেৰৌ, যেয়ে কি নহব, ৰবিঔ ৰবি, ময়ো গৈছোঁ। অসন্তক ৰবি। বধ লাগে, বৈ যা ককাইটি!

হালোৱা।—আহি থাক্। তোলৈ আকৌ ৰব কোন্ দুপৰীয়া ভোকত!

জালোৱা।—হেৰৌ, বধ লাগে, অসন্তক ৰবিঔ। মোকো লৈ যা ককাইটিঐ!

হালোৱা।—কেনেখন কৰে এইপাটে! তোক আকৌ লৈ যাব কোনে? দুপৰীয়া ভোকত নাঙ্গল-যুৱলিৰ ভাৰেই কান ছিঙ্গি নিছে, তোক আকৌ লওঁ কোন্ খন কানত?

জালোৱা।—নহয় হেৰৌ, ককাইটি, মোক কানত লব নেলাগে; লগ হে দিব লাগে। ৰবি, অসন্তক ৰবি।

হালোৱা।—আও! এই হেন দিন-দুপৰত তোক লগ লগা হল নে? অকলে আহিব নোৱাৰ নে? মতা নহব নে কি? নাই, তোক কিহবাই পাইছে?

জালোৱা।—ককাইটিঐ, কিনো কম! এই দিন-দুপৰতে মোক সঁচাকৈয়ে ভূতে পাইছিলহি! ৰবিচোন, শুনচোন।

হালোৱা।—দেখিছানে বাৰু! কালি ৰাতিও খাবলৈ নহল একো। লঘোনীয়া গা! এই দুপৰ-ভাটি দিয়ালৈকে হাল বাই পথাৰত বোকা দি আহিছোঁ। ভোকে-ভাগৰে মোক অথিৰ কৰিছে! হেৰ, তই পিচে পিচে আহি থাক্। মই ৰব নোৱাৰোঁ বুপাই।

জালোৱা।—নহয়, হেৰঔ ককাই, মোক পিচ পেলাই নেযাবিঔ। হেৰ, তোৰ মূৰকে সাৰ, ৰবি। মোৰ ল'ৰাইতৰ শপত অসন্তক ৰবি। হেৰ, যাব যদি, ঘৈণীয়েৰৰ মূৰতে ভৰি দি যাব। নেযাবিঔ, ৰবি, ৰবি, ময়ো গৈছোঁ (লৰি গৈ হালোৱাৰ পোন্দত ধৰি ওলমি পৰেগৈ)

হালোৱা।—উঃ, কি আপদে পালে! হেৰ, কিহে নো পাইছিল তোক?—ক'তা?—কেতিয়া?—(চক লৈ) হুঁ, কেনেকৈ?—কচোন। বৈছোঁ বাৰু, ক। —ঐ আই! মোৰ গাটোও জিকাৰি উঠেচোন! তোৰ গাতে কিবা এটা লাগি আহিছে হ'ব পায়!

জালোৱা—ককাইটিঔ, পাইছিলহি আচলটোৱেই! জাল-জৰি পেলাই কথম্পি হে সাৰি আহিছোঁ। ৰবি, ৰবি।

হালোৱা।—বৈছোঁ, ক, কচোন, কি নো সেইটো।

জালোৱা।—আচলটোৱেই ককাই। জলবাৰু সেইটো! ঐ আই! তাৰ দাঁত আৰু নখ কেচটা! মোৰ পিচে পিচে আহিয়েই আছে হ'ব পায়! (উচাপ্ খাই উঠে)

হালোৱা।—হয় নে কি? সি ময়াপী হৈ আহি আছে হ'ব পায়! মোৰ গাটোচোন কেনেবা কেনেবা লাগি গৈছে! হেৰ, কৰোঁ কি? কলৈ যাওঁ? কি

কৰোঁ এতিয়া! কেনি পলাওঁইক। (কানৰ নাঙ্গল-যুৰলি পেলাই জালোৰাক গটা মাৰি ধৰে)

জালোৰা।—সঁচা, বাঁক্ ময়াপী ককাই! সি থিতাতে ওলায়, থিতাতে নাইকিয়া হয়। মোৰ গাতে লাগি আহিছেই কি জানি, কিনো ঠিক্। কিবা ছয়াময়া-খন! ভূত ছঁয়াতে ময়া হৈ সোমায় (গবীয়াগবিকৈ দুয়ো কঁপিবলৈ ধৰে)

(মুক্তিনাথৰ প্ৰৱেশ)

মুক্তি।—(উপ্লুঙ্গাকৈ) কি হৈছে অ, তইতৰ? হৈছে কি?

জালোৰা।—কিনো সোধা বোপাটি! যি হ'ব লাগে হৈছে আৰু! কবলৈ কথাই নোলায়।

হালোৰা।—এৰা, বোপাদৌতা, তোমাক দেখিহে ধাতুটো আহিছে!

মুক্তি।—কিয়? মইনো তোৰ ধাতুটো কেনেকৈ আনিলোঁ আকৌ?

হালোৰা।—এৰা, তিনটা মুনিহ দেখিলে ওচৰ নেচাপে নহয়।

মুক্তি।—কিনো ওচৰ চপাৰ কথা কৈছে? ক'তা, আৰু দেখোন কাকো দেখা নাই।

জালোৰা।—কেনেকৈ দেখিবা, বোপাটি! ভূত যে ময়াপী।

মুক্তি।—ভূত নো কি? ময়াপী আকৌ কেনেকুৱা? মইচোন আজিলৈকে কোনো ময়াপী ভূত দেখা নাই। দেখুৱাব পাৰ নে? পাৰ যদি মই বক্সিচ্ দিম।

জালোৰা।—থোৱাঁ থোৱাঁ, তোমাৰ খ্ৰীষ্টানী কথাবোৰ। ময়াপীক আকৌ দেখিবা কেনেকৈ? নেদেখা হ'বলৈ তো ময়াপী হয়। তেনেবোৰ কাণত নোখোমোৱা কথা নকবা দেও হে। লেখা-পঢ়া শিকি তোমা-লোকৰ বুধিবোৰ উলটিছে যেন দেখিছোঁ!

হালোৰা।—বোপাটি! নেজানা নে, দেও-ভূত বুলিলে থিতাতে ওলায়, থিতাতে লুকায়। সেই গুণে সেইবোৰক ময়াপী বোলে। কলিকতালৈকে পঢ়িও ইমানটো কথাকে নেজানা নে? দৌতাৰৰ ধনবোৰ মিছাতে ভাঙ্গিলাগৈ, নহয়?

মুক্তি।—অ, তইতক এতিয়া কিবা দেও-ভূতে পাইছে নে কি?

জালোৰা।—আকৌ নো কি? বোলে, "কওঁতেই কলা যঁতৰতে শলা"!

হালোৰা।—সেই দেখি তো কৈছোঁ, বোলোঁ এতিয়া আৰু ভয় নাই, বোপাৰে সৈতে আমি তিনটা হলোঁইক বাপেকে।

মুক্তি।—(মনতে) হায়, কি ঘোৰ অন্ধবিশ্বাস! কি বিষম ভ্ৰম! ভূত-বিশ্বাসে আমাৰ গাওঁ ডুবালে! কেনেকৈ উদ্ধাৰ কৰা যায়? (ফুটাই) বাৰু, বিতত্ নহ-বিচোনইক। মোক ভূত এটা এদিন দেখুৱাব পাৰিবিনেইক?

জালোৰা।—কিয়! আজিয়েই পাৰিলোঁহেঁতেন নহয়। অসন্তকৰ আগতে মোক যিটো হে জলবাঁকে লগ পাইছিল। কিনো কম বোপাটি! দেখা হলে বিচুত্তি হলাঁহেঁতেন।

হালোৰা।—দেখুৱাম বাৰু এদিন। দেখিবা ভূত নো কেনেকুৱা। সেইবোৰচোন বাটে-গছে, খালে-বিলে, পথাৰে-পামে য'তে-ত'তে ভূতেই হে। আপোনা-লোকে জিলাৰপৰা কেনেকৈ দেখিবা?

মুক্তি।—বাৰু, দেখুৱাবি। দেখিলে হে বুজিম, ভূত নো কি।

জালোৰা।—বাৰু, হৈছে এতিয়া। আহাঁ বোপা, যাওঁগৈহক। অকলে নৰবাঁ, আহা, আহাঁ।

হালোৰা।—ব'ল, ব'ল, এই ছেগতে আমি যাওঁগৈ বোপাই। বোপা আহি থাওক পিচত। এইবোৰ পঢ়ি-শুনি অধৰমী হোৱা ডেকা। তেজৰ বলত দেও-ভূত নমনা হৈছে এইবোৰে। ইয়াৰ পোটক পাব পাচত। ব'ল ব'ল, ব'ল। (দুইৰো প্ৰস্থান)

মুক্তি।—অহ! অন্ধবিশ্বাসত আমাৰ সমাজ তল গ'ল! অজ্ঞান গঞাই ৰোগ-ব্যাধিৰ আচল কাৰণ ঢুকি নাপায়। ভূত বুলি এবিধ মনে-পতা দেও হে তাৰ কাৰণ বুলি বিশ্বাস কৰে। বেজে ভূত খেদিবলৈ বুলি ৰোগীৰ নাকত পকা জলকীয়া গুঁজি ৰোগৰ

বিকাৰ চৰায়! বহুতে ভূতৰ ভয়ত দুৱাৰ মাৰি ভিতৰলৈ বিশুদ্ধ বায়ু সোমোৱাত বাধা দিয়ে; দৰপ-জাতিৰ সলনি জৰা-ফুকা কৰে। ভূত-বিশ্বাস মানুহৰ স্বভাৱত পৰিণত হৈছে। ভূতৰ ভয়ত মন অস্থিৰ হয়; আৰু মনৰ অস্থিৰতাত আমাৰ অশিক্ষিত মানুহে, ছাঁটোকে বাঘটো দেখাৰ দৰে, ভূতৰ ভয়ঙ্কৰ ৰূপ দেখে। আজি এই দুটা মানুহতে তাৰ ফট্‌ফটীয়া প্ৰমাণ পোৱা গ'ল।—বাৰু, দেখা যাওক, কি কৰিব পৰা যায়। আমাৰ অশিক্ষিত সমাজক এনে অন্ধবিশ্বাসৰপৰা মুক্ত কৰিব লাগিব।

(প্ৰস্থান)

দ্বিতীয় পট,—ফজলুৰৰ পঢ়া-কোঠা

(ধৰ্ম্মেশ্বৰ, সোণেশ্বৰ আৰু ফজলুৰ)

সোণেশ্বৰ।—যি বোলা লাগে ভাই, মোৰ হলে মনৰপৰা বিশ্বাসটো যোৱা নাই। ভাবি যাওঁ ভূত নাই বুলি, কিন্তু গৈ গৈ ভূত থকা ঠাই পাৰ হওঁতে গাটো চেৰাই উঠেচোন!

ফজলুৰ।—হঁচা ভাই, মোৰো তেনেকুৱা লাগে। কেতিয়াবা হুই থাকোঁতেই চয়তানে হেঁচা মাৰি ধৰেহি। কেতিয়াবা যে মই টোপনিতে মক্‌মকাই উঠোঁ। বুবাজিয়ে হেঁচুকি জগোৱাই দিয়া মাত্ৰকে চয়তানটো চাঁত্ কৰে নেদেখা হয়।

সোণেশ্বৰ। –এৰা, কেতিয়াবা আকৌ সি বাঘ হৈ খাবলৈ আহে, নাইবা সাপ হৈ খুটিবলৈ খেদে; টোপনিতে লৰোঁ হে লৰোঁ, আগুৱাব নোৱাৰোঁ! পিচে, চাঁত্ কৰে সাৰ পালেই সি মায়াপী হৈ যায়! ভূত নহয় যে বাৰু সি কি! কোৱাচোন ভাই।

ধৰ্ম্মেশ্বৰ।—নহয় ভূত। তাৰ কাৰণ ভূতনাথ ভাই আহিলে সুধিবা, তেওঁ ভালকৈ বুজাই কব।

(ভূতনাথৰ প্ৰৱেশ)

ফজলুৰ।—এ হে! আহাঁ, আহাঁ ভাই, আহাঁ। তুমি বহুত দিন জীবা ভাই!

ভূতনাথ।—কিয়? কোন্‌খন পঞ্জিকাত নো গণনা পালা? মোৰ সোঁৰৱণী আঁকিছিলা নে কি?

ফজলুৰ।—হেই চব নহয় ভাই। এই মাত্ৰ তোমাৰ নাম লোৱা হৈছিল। নাম লওঁতেই তুমি ওলালাহি। হেই কাৰণে তুমি বহুত দিন জীবা।

ভূতনাথ। –(হাঁহি হাঁহি) অ, সেই বাবে! হওঁতে বিধিখন বেয়া নহয়।

সোণেশ্বৰ।- সঁচা, ই ধ্ৰুৱপ কথা। নাম লওঁতেই ওলালেহি মানুহৰ আয়ুস বাঢ়ে।

ভূতনাথ।--বাৰু, ময়ো ধ্ৰুৱপকৈ কৈছোঁ, তোমালোকৰ মনৰপৰা এতিয়াও superstition অৰ্থাৎ কুসংস্কাৰ যোৱা নাই।

ধৰ্ম্মেশ্বৰ। -superstition বাৰু এৰিছোঁৱেই, এওঁবিলাকৰ মনৰপৰা আজিও prejudice বা অন্ধবিশ্বাসো গুচা নাই। এতিয়াই দুয়ো দু্‌বিধ ভূতৰ উদাহৰণ দিছিল। টোপনিত চিয়ঁৰি উঠা, লৰিব খুজি চলিব নোৱাৰা, এইবোৰ বোলে ভূতৰ কাম। মই পিচে ভূত নহয় বুলি কৈ তোমাৰ নাম লওঁতেই তুমি ওলাইছাহি।

ভূতনাথ।—ঠিক সময়ত ওলালোঁহি বুলিয়েই তো দীৰ্ঘজীৱী হবলৈ আশীৰ্ব্বাদ পালোঁ। সি যি হওক, টোপনিত কিয় তেনেকুৱা বোধ হয়, সেই বিষয়ে সিদিনাখন ব্যাখ্যা কৰা হৈছিল নহয়, পাহৰিলাইক নহয় নে? শোওঁতে হাত বা ভৰিৰ সিৰত চেপা খাই বিজুতি ঘটিলেই তেনেকুৱা বোধ হয়। সি ভূত বা চয়তানৰ কাম নহয়। ভূত বুলি একো এটা Being বা বস্তু নাই, চয়তানো একো নহয়।

ফজলুৰ।—ভূত নাথাকিব পাৰে; কিন্তু চয়তান হলে নিশ্চয় আছে ভাই। হিদিনাখন আমাৰ মৌলবী চাহাবে দিয়া ব্যাখ্যা হুনা হলে, বিশ্বাস কৰিলাহেঁতেন। কবৰখানাৰ কাখত আমাৰ নতুন মজিদটো হজাওঁতে চয়তানবোৰে ঘৰৰ ভেঁটিটো ঘূৰি ঘূৰি কেনেকৈ পাক্ লৈছিল আৰু কালিমা পাঠ হুনি সেইবোৰ কেনেকৈ উফৰি উফৰি পৰিছিল, তুমি মৌলবী চাহাবৰ মুখে হুনা হলে নপতিয়াই থাকিব নোৱাৰিলাহেঁতেন।

ভূতনাথ।—সেইটোও শুনা কথা হে। তুমি তো নিজ চকুৰে দেখা নাই। মনত নাই নে, আমি ডেকাদলে কথা বান্ধিছোঁহঁক যে, নিজে স্ব-চকুৰে ভূত নেদেখোঁমানে নপতিয়াওঁ।

সোণেশ্বৰ।—বাৰু, সেই মতে হলেও তো দ'ত আছে বুলি স্বীকাৰ কৰিব লাগিব। পিচে, দ'ত জানো এবিধ ভূত নহয়?

ধৰ্ম্মেশ্বৰ।—ভূত হওক বা নহওক, আগেয়ে স্থিৰ হোৱাৰ দৰ্কাৰ যে স্বৰূপতে দ'ত আছে নে নাই।

সোণেশ্বৰ।—বাঃ! দ'ত নো নহ'ব পাৰে নে? সি যে চকুৰে দেখা ভূত।

ভূতনাথ।—কোনে দেখিছিল? কেতিয়া?

সোণেশ্বৰ।—কোনেও নেদেখা নহয়। সিদিনা মাথোন ভদৰি-চুকৰ লোহাৰামে দ'ত এটা লগ পাইছিল। জানাই নহয়, লোহাৰাম কেনে এটা বুকু বহল বলী মানুহ। দ'তক সিও উলটি ধৰিছিল; পিচে, দ'তৰ গা পিছল কাৰণে হে তাক সি পেলাবলৈ চল নাপালে।

ভূতনাথ।—ইও এটা 'কাণখোৱা' গল্প ভাই! ইয়াক এটা সাধুকথা বুলি ধৰিলে ধৰিব পাৰোঁ, কিন্তু প্ৰকৃত ঘটনা বুলিব নোৱাৰোঁ; কাৰণ, তুমি তো নিজে স্ব-চকুৰে দ'ত দেখা নাই।

সোণেশ্বৰ।—স্ব-চকুৰে দেখাতকৈও একাঠি চড়া হে বুলিবোঁ। কিয়নো,—

(মুক্তিনাথৰ প্ৰবেশ)

ফজলুৰ।—অ, আহাঁ ভাই, আহাঁ (মুক্তিক আগবঢ়াই আনে)

মুক্তি।—কিহৰ নো মেল? কিহৰ বক্তৃতা? আজিৰ মজলিচ্ দেখোন গৰম!

ভূত।—এৰা, মজ্‌লিচ্ গৰমেই। তুমিও এতিয়া বক্তৃতাৰ ভাগ ললে হে যদি সি চেঁচা পৰে।

মুক্তি।—কিহৰ বক্তৃতা তাৰ শুং পালে হে ভাগ লব পাৰি।

ধৰ্ম্ম।—বক্তৃতা আৰু হ'ব কিহৰ?—ভূতৰ। লোৱাঁ ভাগ এতিয়া।

মুক্তি।—তেনেকুৱা এটা ভাগ মষো বাটতে পাই বুটলি আনিছোঁ, পঞ্চ-পাণ্ডৱে পত্নী ভগোৱাৰ দৰে তোমা-লোকৰে সৈতে ভগাই লবলৈ বুলি।

সোণেশ্বৰ।—চাওঁ, কিহৰ নো ভাগ সেইটো। মেলাচোন তোমাৰ টোপোলা।

ফজলুৰ।—চাওঁ নহয়, শুনোঁ বুলিলে হে ভাগ পোৱা যাব হ'বলা?

মুক্তি।—ভাল কৈছা ভাই। মই অনা ভাগটো চকুৰ অগোচৰ, কাণৰ হে গুচৰ; সি টোপোলাত নাই, মুখত হে আছে।

ধৰ্ম্ম।—বাৰু, চকু মুদিছোঁ, কাণকে পাতিছোঁ; দিয়াচোন কিহৰ নো ভাগ আনিছা তুমি।

মুক্তি।—বাৰু, লোৱাঁহঁক মই অনা ভাগৰ ভাগ!—কালি ডুপৰীয়া বাটত বাঁকে-পোৱা দুটা মানুহক লগ পাই বুজনি দিছিলোঁ। পিচে মিছা, সিহঁতে একোপধ্যো নামানে। যি ভূত নাই বোলে, তাক সিহঁতে বলিয়া হে বোলে। আৰু, সিহঁত নিজে ভূত-বিশ্বাসত তন্ময়!

ধৰ্ম্ম। হায়, এই অন্ধ-বিশ্বাস আমাৰ সমাজৰপৰা কেনেকৈ আঁতৰ কৰা যায়!

ভূত। আঁতৰ কৰিবই লাগিব। সেই বিষয়ে উপায় চিন্তিবলৈ আমাৰ মাজত এখন আলোচনী সভা পাতিবলৈ মই প্ৰস্তাব কৰোঁ।

ফজলুৰ।—বৰ হাৰুৱা প্ৰস্তাব। মই মিষ্টাৰ বৰুৱাৰ প্ৰস্তাব হমৰ্থন কৰোঁ।

মুক্তি।—বেচ কথা। তেন্তে অহা শনিবাৰে সন্ধিয়া মিষ্টাৰ বৰুৱাৰ ঘৰতে সভাৰ প্ৰথম বৈঠক পতা হওক। আজিলৈ ইমানতে। এতিয়া ঘৰাঘৰি যাওঁগৈ বলাঁহঁক।

(সকলোটিৰ প্ৰস্থান)

অঙ্কপাত

দ্বিতীয় অঙ্ক

প্ৰথম পট,—হাটলৈ যোৱা ৰাজবাট

(পোহাৰী আৰু গৰখীয়া)

পোহাৰী ।—(মূৰত শাক-পাচলিৰ পাচি এটাৰে সৈতে) কিনো ৰ'দ বুপাও ! গা গোটেই পুৰি-ডেই নিছে ! নোৱাৰি আৰু ! যাওঁ, সৌ ছাঁতে বহি অথন্তক জিৰাই লওঁ। কণা-বিধতাই মাৰিও নিনিয়ে।

(মূৰৰ পাচি নমাই আলিকাষৰ গছৰ ছাঁত বহেগৈ)

গৰখীয়া ।- (প্ৰৱেশ) অ, পোহাৰী বাই ! বেহাবলৈ নো পাচিত কি আনিছা ?

পোহাৰী । এ, কি পাম, কি আনিম, বুপাই ! বাঁৰী-দুখুনী মানুহ, পৰৰ এৰা-বাৰীৰপৰা বুটলি আনিছোঁ সেয়া কচু-ঢেঁকিয়া টেঙ্গা-টুকুচা কিবাকিবি। ইয়াকে নসলালে আমাৰ জীৱনেই নৰয় নহয় ! এনেকৈ লেলাত ভুক্তিবলৈকে জীয়াই আছোঁ ! আমালৈ যমো নাই নহয়, বুপাই।

গৰখীয়া ।—কি ! যম লাগে নেকি ? মাতিম নে ?—ঔ যমদূত, আহঁও, বুঢ়ী বাইক নেহি।

পোহাৰী । এ, কেলেই নো পেংলায় কৰ বুপাই। তই-মই মাতিলেই নো যম ওলাবহি নে ?

গৰখীয়া । ওঁ, ওলাবহি তো। এতিয়াই ওলাবহি পাৰে। আকৌ মাতিম জানো ?—মাতোঁ ?

পোহাৰী ।—এঃ বাকলি, ৰবিচোন, বতাহজাক বলিছে খন্তেক জুৰ লওঁ'। জহত জীৱটো চট্‌ফটাব লাগিছে।

গৰখীয়া ।—যম মাতিছ যদি, জিৰাব লাগিছে আকৌ কিয় ? জহতে জীৱটো যায় যদি যাওক। - ভালেই হে।

পোহাৰী ।—যা, তেহেলেই যা বাকলি, কেপ্‌কেপাই নেথাকিবি এইখনত।

গৰখীয়া ।—কিয়, যম মাতিছিলি নহয় ? নেলাগে জানো ? মৰিবলৈ ভয় লাগিছে হ'বলা ?

পোহাৰী ।—কিমান নো ৰেপি থাক আৰু ! বোলোঁ, যি মৰিবলৈ ওলায় তালৈ যম নাই। আমাৰ নিচিনা দুখুনীক মাৰি নিলেচোন ৰইখাকে পাওঁ।

গৰখীয়া ।—যম নাহে যদি, ভূতকে মাতোঁ তেনেহলে ?—মাতিম নে ?

পোহাৰী ।—এইপাটক আকৌ পালে কিহে! ঘেকেটি খোৱাৰ পো, আঁতৰি নাযাৰ কিয় ? ইয়াক মাতিছিল বা কোনে ইয়ালৈ !

গৰখীয়া ।—বাৰু, যাওঁ আঁতৰি। থাক অকলে তই। (আলিকাষৰ গছ জোপাৰ ডাল পাত বতাহত লৰাৰ লগে লগে মাটিত লাগি থকা তাৰ ছঁয়াটো লৰচৰ হোৱাৰে আঙুলিয়াই) ঔ আই ! সৌটো কি ভূতঔ ! ছঁয়াতে মন্নাপী হৈ কেনেকৈ ধৰিবলৈ চিপিয়াইছে।

পোহাৰী । (আছাৰ খাই আঁতৰি পৰি) ঔ, হয়ো কি নহয়ঔ ! ধৰেঔ ! খালেঔ। নাযাবি, নাযাবিঔ ! মোক অকলে এৰি নাযাবিঔ। মোৰ কুটুম, মোৰ ঈশ্বৰ, নেৰিবি, নেৰিবি মোক, অকলে নেৰিবিঐ। জীয়া-ভূতৰ মুখত পেলাই নেযাবি এৰি মোক ঔ !

গৰখীয়া । -কেনে পাইছ ? মুখেৰে মৰিবলৈ বিচৰা মানুহ-জনীৰ দেখোন এতিয়া জীবলৈ কাওঁবাওঁ !—ধৰ, হেৰ ভূত, ধৰ, বুঢ়ীক ধৰ, খা।

(গৰখীয়া ভিৰাই ধৰি লৰ মাৰে, পাচি এৰি পিচে পিচে পোহাৰী ঢপলিয়াই প্ৰস্থান)

(ভূতনাথৰ প্ৰৱেশ)

ভূতনাথ ।—কাৰ পাচি এইটো ? কোনে এৰি গ'ল এই মাজ বাটত ? আইঐ দেহি, কোনোবা পোহাৰীয়ে হাটত বেহাবলৈ এইবোৰ কিবাকিবি আনিছিল !

পোহাৰী ।—(ঘূৰি আহি ভুমুকিয়াই) হেৰা, কোন্ তুমি দোতা, ৰবাঁ, তাতে অথন্তক ৰবাঁ, পাচিটো আনি লওঁ দেও হে।

ভূত ।—চাপি আহচোন বাৰু। কিনো হৈছিল, কচোন।

পোহাৰী ।—(ভয়ে ভয়ে চাপি গৈ গছৰ লৰি থকা ঠাল-পাতৰ ছঁয়ালৈ আঙুলিয়াই) সেয়া নেদেখিছা, মোক

ধৰিবলৈ ভূতটোৱে কেনেকৈ চিপিয়াইছে! ঔ আই! (কঁপিবলৈ ধৰে)

ভূতনাথ।—ক'তা, কোন্‌টো?

পোহাৰী।— সেইটো নহয় (লৰি থকা ছাঁটো দেখুৱায়)

ভূতনাথ।—সেইটোচোন সৌ গছজোপাৰ ছাঁ। বতাহত তাৰ আগ লৰিছে দেখি মাটিত তাৰ ছাঁটোও লৰিছে।

পোহাৰী। ইঃ, গছ! লৰিছে ওপৰত, ভূতে মোক ধৰিবলৈ চিপিয়াইছে তলত। সৌৱা, ভালকৈ ত কৰি চোৱাচোন।

ভূতনাথ। –(নিজৰ হাতখন লৰাই তাৰ ছাটো দেখুৱাই। চা বাৰু, মোৰ হাতখন লৰোৱাৰ লগে লগে তাৰ ছাঁটোও লৰিছে নে নাই।

পোহাৰী।—এ আই, হয় যে নহয়। সঁচা, সেইটো সৌ গছৰ হে ছাঁ, ভূত নহয়। (পাচি মৰত তুলি লয়)

ভূতনাথ।—আহ আৰু এতিয়া, ময়ো হাটলৈকে আহিছোঁ, বল, বাটে বাটে তোক ভূত আৰু ভ্ৰমৰ কথা ভাঙ্গি কৈ গৈ থাকোঁ।

(দুইৰো প্ৰস্থান)

দ্বিতীয় পট,—মৰনৈ মৰিদিখৌৰ মঠাউৰি

ফজলুৰ আৰু সোণেশ্বৰ (মুনিচুনি বেলিকা)

সোণেশ্বৰ। শুনিছানে ভাই, ইয়াত চৰিবলৈ বৰ ভাল, নহয় নে বাৰু?

ফজল। –হঁচা ভাই, চাপৰিটো যেনে মুকলি আৰু ফৰকাল, মনো তেনে মুকলি আৰু ফৰকাল লাগি যায়।

সোণেশ্বৰ।—আহা, কেনে যে ৰিব্‌ৰিব্‌কৈ বতাহ লাগিছে! গা শাঁত লাগি গৈছে। ইয়াৰপৰা যেন নেযামেই!

ফজল।—এৰা, দুখটোলৈ চাই ইযাতে হদায থাকিবলৈকে মন যায। পিচে, ঠাইখন তে ভাল নহয়, বৰ জয়াৰ। সন্ধিযাৰ পাচত এই চাপৰিয়ে মনত অইন ভাব তে উপজায়। তেতিয়া দেখোন গা-মন লৰিবলৈ ধৰে।

সোণেশ্বৰ।—ঠিক কৈছা ভাই। মই কওঁ কওঁ কৰোঁতেই তুমি কৈয়ে পেলালা। সঁচাকৈয়ে গাটো দেখোন কেনেবা কেনেবা লাগি আহে। তাতে আজি শনিবাৰ।

ফজল।—ভাই, কব পাৰা নে ইয়াৰ কাৰণ কি?

সোণেশ্বৰ।—নেজানা নে এই ডোখৰ দিখৌ মৰনৈৰ পাৰ বুলি। ইয়াত ধনগুলৈ ফুৰে। তাহানি আৰিমত্ত ৰজাই পিতৃবধ পাপৰ ধন পেলাই দিয়াত নৈয়ে নিজৰ সুঁতিকে এৰিলে হেনো। এতিয়া সেই ধন সেই ভাগেই সৌ ছোৱা মৰনৈত পোত্‌ গৈ আছে। তাৰপৰাই ধনগুলৈ বুলি এবিধ ভূত ওলাই এই চাপৰিত চৰি ফুৰে।

ফজল।—পিচে, পিচে?

সোণ। পিচে, এটা-দুটাকৈ তাকৰীয়া মানুহ ছেগত পালে সি ছল কৰে।

ফজল।—হঁচা নে? কেনেকুৱাকৈ ছল কৰে?

সোণ। বলাই-ঘটাই নি সি সেই পোত গৈ থকা ধনৰ তলতে মানুহ পুতি মাৰেগৈ।

ফজল।—ছেগ নো আকৌ কি?

সোণ।—ছেগ কৈছে, শনিবাৰ, মঙ্গলবাৰ, মুনিচুনি বেলিকা, পুৰঁতী-নিশা, ভৰ-দুপৰীয়া, এইবোৰেই।

ফজল। (চক খাই উঠি) পিচে, আজি আৰু এতিয়াচোন আচলটো ছেগেহে।

সোণ। এৰা, আচল দুটাই পো। আজি শনিবাৰ আৰু এতিয়া মুনিচুনি বেলিকা। এনে বেলিকাতে ভূত চৰিবলৈ ওলায়।

ফজল। পিচে, পিচে, কি কৰা যায তেন্তে এতিয়া!

সোণ।—কি কৰা যাব, বেগাবেগিকৈ ঘৰলৈ যাওঁগৈইক।

ফজল। বলা, বলা ভাই, পলম নকৰোঁ আৰু, বলা।

সোণ।—কিয়, তোমাৰ বৰকৈ ভয় লাগিছে নে কি? সিদিনা পিচে ভূতনাথ ভাইৰ আগত কি কৈছিলা? —ভূত বিশ্বাস নকৰোঁ বুলিছিলা নহয়? পিচে, তেওঁ এইবোৰ কথা শুনিলে কি বুলিব আমাক।

ফজল।—যি বোলে বোলক। মনে নামানিলে কি কৰিম আমি! বলাঁ, বলাঁ ভাই, খৰকৈ খোজ দিয়া; চাপৰিটো এৰাই লওঁ এথোন, পাচেও অইন কথা।

সোণ।—গৈ আছোঁ, গৈ থাকাঁ। ৰৰকৈ বেগাবেগি কৰিলেও ভূতে আসৈ পায় এক।

ফজল।—এৰা, ইফালে চালেও মৰোঁ, সিফালে চালেও ডৰোঁ! (নৈ-দাঁতিৰ ফালে জৰ্জৰাই শৰদ শুনি উচাপ্ খাই উঠি) হেইটো! হোটো! ঔ বুবাজী, খালেঔ! হোটো ভূত পালেহিঔ! ভাই, চাপি আহ; দুয়ো ধৰাধৰিকৈ যাওঁ।

সোণ।—(ইকাষেদি শিয়াল এটা লৰ মাৰি যোৱা দেখি) ইটো নো কি আকৌ! আকৌ! ভাই ৰবি, ৰবি। সৌ এটা ভূতে ছদ্মবেশ ধৰি ছলিবলৈ আহিছে আমাক!

ফজল।—ৰৈছোঁ ভাই, ধৰ ভাই, মৰিলোঁ ভাই, কি কৰোঁ এতিয়া ভাই! ঔ বুবাজী, ক'ত আছ, বেগাই আহঔ!

সোণ।- কৰিবলৈ উপায় আৰু কি আছে! কোনো মতে চাপৰিটোৰ মৰনৈৰ পাৰছোৱা এৰাই যাব পাৰিলেই হয়। আহ, লৰ ধৰো ভাই, আন উপায় নাই আৰু। ধৰে, ধৰে, ধৰিলে উ!

(দুয়ো প্ৰাণকাতৰে লৰি প্ৰস্থান)

তৃতীয় পট,—ভূতনাথৰ পঢ়া-কোঠা

(ভূতনাথ, মুক্তিনাথ আৰু ধৰ্ম্মেশ্বৰ)

মুক্তি।—ক'তা, মিঃ স্মিথ্ আৰু মিঃ আহ্মদ নোলালহি দেখোন!

ধৰ্ম্ম।—এৰা, ইমানপৰত ওলাবহি লাগিছিল। ওলাবহি, দুয়ো একেলগে আহিছে চাগৈ।

ভূত।—সেয়া, ইয়াকে বোলে দেশীলোকৰ সময়ৰক্ষণ বা Native punctuality!—আমাৰ কাৰ্য্যাৰম্ভণত সদায় এঘণ্টা-আদঘণ্টা পলম আছেই। সেই হে আমি মূৰকত কাম সামৰিবলৈ নোৱাৰোঁ, আৰু সেই কাৰণেই আমি ইংৰাজৰ আৰ্হিৰে উধাবও নোৱাৰোঁইক।

ধৰ্ম্ম।—মিঃ বৰুৱাই ভাল মনত পেলাই দিছে। ইও এটা আমাৰ সংস্কাৰ কৰিবলগীয়া আচাৰ নহয় নে?

মুক্তি—নিশ্চয়। ধৰিবলৈ গলে, ই আটাইতকৈ লাগ-তিয়াল কাম। এই উদ্দেশ্যেও সোনকালে এটা ব্যৱস্থা কৰা উচিত।

ভূত।—নিতান্ত উচিত। কিন্তু, এটা এটাকৈ হে। কেইবাটাতো একে সময়তে হাত দিলে এটাও নিয়াৰিকৈ সমাধা হৈ নুঠে। সম্প্ৰতি হাতত যি বিষয়টো লৈছোঁইক তাকে সমাধা কৰি উঠোঁচোন। তাৰ পাচত আনবোৰ ধীৰে-শাঁতে এটা-এটাকৈ সমাধা কৰি গৈ থাকিমইক। সংস্কাৰ কৰিবলগীয়া আমাৰ সামাজিক বিষয় কিমান যে আছে!

ধৰ্ম্ম।—ধন্য! Thanks, বাস্তৱতে, মিঃ বৰুৱাৰ কথাবোৰ বৰ প্ৰাক্‌টিকাল।

মুক্তি।—সেই হে তেওঁক আমাৰ সংস্কাৰ-সমিতিৰ সভাপতি পাতি লৈছোঁইক। আমাৰ বাছনি বোধ কৰোঁ অযোগ্য পাত্ৰত পৰা নাই।

ধৰ্ম্ম।—নিশ্চয় নাই পৰা; তেওঁতকৈ যোগ্যতৰ পাত্ৰ নাই বুলিবই লাগে।

ভূত।—বাৰু, থোৱাঁ সেইবোৰ; এতিয়া আচল কথাত ধৰোঁইক।

মুক্তি।—এৰা, ধৰিব লাগে। পিচে, মেচাৰ্চ স্মিথ্ আৰু আহ্মদ নোলালহি যে? সিবিলাকৰ অনুপস্থিতিত আলোচনা হোৱাটো ভাল হ'ব জানো?

ধৰ্ম্ম।—তাকে তো গুণিছোঁ, সিবিলাক দুজনৰ অবিহনে আজিৰ আলোচ্য বিষয়ত ধৰাতো বাঞ্ছনীয় হ'ব নে নহয়?

ভূত।—সমূলি অবাঞ্ছনীয়। কাৰণ, আমাৰ ভিন্-ভিন্ সমাজৰ প্ৰতিনিধি যিমান বেছিকৈ গোট খাব, সিমান বহুলকৈ আমাৰ আলোচনা আৰু সিদ্ধান্ত

জন-সমাজত প্ৰচাৰিত হ'ব। আৰু, তেহে আমাৰ উদ্দেশ্য সহজে সিজিব।

মুক্তি।—তদুপৰি, মই মন কৰিছোঁ, এতিয়ালৈকে সিবিলাক দুজন আমাৰ মতলৈ সম্পূৰ্ণে ঢাল খোৱা নাই। সিবিলাকৰ মনত ভূত-বিশ্বাসৰ খুকুৰি এতিয়াও ৰৈছে।

ধৰ্ম্ম।—ময়ো তাকে কওঁ। এতেকে, মোৰ মনেৰে আজিলৈ এই বৈঠকৰ আলোচনা স্থগিত ৰখা হওক।

ভূত।—নিতান্তই স্থগিত ৰাখিব লাগে। মোৰ মনেৰে অহা বৈঠক মিঃ ফুকনৰ ঘৰত অহা শনিবাৰে পাতিব লাগে। তেন্তে আজিলৈ ইমানতে এৰাই ভাল। বলা, ফুৰিবলৈকে যাওঁহঁক। (প্ৰস্থান)

অঙ্কপাত

তৃতীয় অঙ্ক

প্ৰথম পট,—কানিখোলা

(তিনটা কানীয়াই কানি পান কৰে)

১ম কাঃ।—(২য় কানীয়াই ১ম কানীয়াৰ জলপানৰ বাতিত গাখীৰ-চেনি বাকি দিয়ে) আচক আচক। (ধোঁৱা এঢোক্ গিলি) ঐচে, কিন্তু ঐচে, কিন্তু ইমানেই কিন্তু অ'ব।

৩য় কাঃ।—(টিকিৰা এটা পুৰি নাকে-মুখে ধোঁৱা উকৰাই) নহয়, আল্পতি, অৰকৈ কাব লাগে। গিৰঅষ্টই দিছে কাবলৈকে বুলি, পেট বৰাই কাবা।

২য় কাঃ।—(টিকিৰা এটা পুৰিবলৈ ধৰি অণ্ঠা লৰ্ক্ৰাই) এৰা, ভকত তুষ্ট হলেই দেৱতা তুষ্ট হয়। বোলে, ভকতেই "সবাতকৈ বৰ, ভকতক পূজিলে গুচে কৰ্ম্মজৰ।"—এই ফাঁকি ডাকৰ বচন নহয় জানো?

১ম কাঃ।—(টিকিৰা এটা পুৰি হোঁকাটো মাটিত খুন্দা মাৰি) ন-অব নো কিন্তু কেলেই? দেৱতাৰ কাৰণেই কিন্তু কানীয়া বকত, কানীয়া বকতৰ কাৰণেই কিন্তু দেৱতা। কি বোলাঁ?

২য় কাঃ।—(নাকে-মুখে ধোঁৱা এৰি দি) অয়তো, টিক্ কৈছা বান্দ! সেই ডেকি হে কওঁ, বোলোঁ দেও-বুত্ বালও বেয়াও।

৩য় কাঃ।—কি কলি! দেও-ভূত বেয়া? এনে কথা নকবি দেই। বোলে, "যাৰ যহত শাক-সেন্দুৰ, তাক পাতে ভোকোৰা এন্দুৰ!"—হেৰ, খাই-পাত-ফলা অগুণকাৰী নহবি দেই!

১ম কাঃ।—(চেনি এচেলেক মাৰি) সঁচা কিন্তু শালপতিয়ে কিন্তু ভাল কৈছা। গৃহস্থৰ ল'ৰাটোক কিন্তু ভূতে নধৰা হলে কিন্তু আজিৰ সেৱাভাগেই নো কিন্তু ক'ৰপৰা আহিলহেঁতেন? কানীয়া ভকতক কিন্তু ভূতে হে দিয়ে কজি কিন্তু জানিছা?

৩য় কাঃ।—সেই বাবেই তো আমি দেও-ভূতৰ মহিমা য'তে-ত'তে বহলাই কবলৈ চাব লাগে। দেও-ভূতলৈ ভয় বাঢেমানে আমালৈ ভোগ বাঢে, ভূতলৈ ভয় টুটেমানে আমাৰ ভোগ টুটে।—বুজিছাঁহক।

১ম কাঃ। স্বৰূপ কৈছা কিন্তু, এইফাঁকি কিন্তু আমাৰ গুপুত মন্ত্ৰ। ইয়াক কিন্তু পাহৰিব নেপায়, পাহৰিলে কিন্তু আমাৰ ধৰ্ম্ম নষ্ট হ'ব।

২য় কাঃ।—(জপৰ্ জপৰ্ টোপনিয়াই চকমকৈ) ৰাতি বহুত হ'ল হ'বলা!

৩য় কাঃ।—এঃ, সাঁজ লাগিছে মাথোন। তোৰ হ'বলা শুবৰ পৰ হলেই? দোহোঁপাতে আল্মোকোটা খাই গলিচোন!

১ম কাঃ। সঁচা, শুবৰ পৰ কিন্তু হোৱা নাই তো। পিচে, কিন্তু এটা কথা, ৰাগিটো কিন্তু পকি উঠোতেই কিন্তু শুলে যেনিবা কিন্তু ভাল টোপনিটো কিন্তু আহে দেই।

৩য় কাঃ।- ঠিক ধৰিছা শালপতিয়ে কথাটো। হয় দেও, শুবগৈ হে লাগিল। দিহাদিহি পাটীত পৰোঁগৈহক।

১ম কাঃ।- বাৰু, কিন্তু শোওঁগৈ। শুই শুই কিন্তু টোপনি আহেমানে কিন্তু দেও-ভূতৰ কথাকে কিন্তু জুকিয়াওঁগে। মানুহৰ কিন্তু বুকু লৰি যোৱাকৈ

কিন্তু ভূতৰ ভয় লগাবলৈ কিন্তু জানিব লাগে; তেহে কিন্তু আমাৰ ফন্দ্ কিন্তু আঁট খায়। মনত কিন্তু ৰাখিবাহঁক কিন্তু!

২য় কাঃ।—বাৰু, বাৰু, ৰাখিছোঁ মনত। কাইলৈৰপৰা বাৰু দেখিবাহঁক কি কৰোঁ। এই কথা লৈয়ে মই গাৱেঁ গাৱেঁ ফুৰিম নহয়। শুওঁগে এতিয়া যাওঁ; আৰু ৰব নোৱাৰি দেও! (অলপ পৰ টলকা মাৰি বহি কলমটিয়াবলৈ ধৰে)

৩য় কাঃ।—এৰা, এ-ৰা, এ-ৰা-আ (ঢাল খাই পৰে)

১ম কাঃ।—বা-বাৰু, কি-কিন্-তু (কাটি হৈ পৰে)

(ভূতনাথৰ প্ৰবেশ)

ভূতনাথ।—হাঁয়, হাঁয়! কি শুনিলোঁ! কি দেখিছোঁহি! ইহঁতেই অনৰ্থৰ মূল। কানিয়েই অসম দেশ খালে! কানীয়াই অসমীয়া সমাজ ডুবালে! এনে কানি-খোলা নাভাঙ্গিলে ভূত-বিশ্বাস ভঙ্গা টান হৈছে। দেখা যাওক, কি কৰিব পাৰোঁ। চাওঁচোঁ, ইহঁতৰ শোৱনটোকে!

১ম কাঃ।—(টোপনিত) হুঁ-ওঁ, উঁ-হুঁ, বান্ধ! শালপতি! নিয়ে, নিয়ে, নিয়ে কিন্তু এতিয়া মোক। ধৰিলে, ধৰিলে, কিন্তু ধৰিলেহিঙৈ! (চকু মেলি আছাৰ খাই বাগৰি পৰি) ঔ আই! সঁচাসঁচিকৈ কিন্তু মানুহৰ ৰূপ ধৰি কিন্তু আহিছে! (ভূতনাথলৈ চাই কঁপি কঁপি) ঔ আই! এইটো কিন্তু কি ভূতঔ! মানুহৰ ভেশ ধৰি কিন্তু ছলিবলৈ আহিছে!

(উঠি ভিৰাই লৰ মাৰি প্ৰস্থান)

২য় কাঃ।—(চক্‌মক্‌কৈ উঠি ভূতনাথলৈ চাই) ঔ আই! নহয় নো কি! সঁচাকৈ এইটো ভূতঔ! বান্ধ, বান্ধ! (উঠি লৰি প্ৰস্থান)

৩য় কাঃ।—(ভূতনাথলৈ চক্ ধৰি চাই) ঔ বুপাই! সঁচাকৈয়ে এইটো মনিষ্-ভূত ঔ! ধৰিলেঔ! খালেঔ! মৰিলোঁ ঔ!

(উধাতু খাই পলাই প্ৰস্থান)

ভূতনাথ।—হাঁয়, কি মাৰাত্মক ভ্ৰম! এই ভ্ৰম নুগুচিলে সমাজৰ মানুহ মানুহ হ'ব কেনেকৈ! ইও এটা আমাৰ সংস্কাৰ-সভাৰ আলোচ্য বিষয় হ'ব লাগে। যাওঁ, সমিতিৰ সভ্যসকলক ভাঙ্গি কওঁগে। কানি-খোলা নাভাঙ্গিলে আমাৰ সমাজৰ উদ্গতি নাই।

(প্ৰস্থান)

দ্বিতীয় পট,—বাঁৰীৰ পজা

(মাক আৰু নৰীয়া পুতেক)

মাক।—(মূৰে-কপালে হাত দি) কিমান যে বুজনি দিলোঁ, বোলোঁ, বোপাই, পোতা-পুখুৰীত বৰশী বাবলৈ নাযাবি; তাত দ'ত থাকে, বাঁক্ থাকে, কেতিয়াবা ছলিব। বোলোঁ, খালে-বাঁহতলে ডেওপাৰি নুফুৰিবি; তাত যখিনী থাকে, ডাইনী ফুৰে, কাহানিবা গা চুব। বোলোঁ, বাটে-ঘাটে ফিচাহিনী আৰু ভূতুনী ফুৰে, দেখিলে ছঁয়াকাটি যাবি, সিহঁতে ভূত পোহে; ছেগ পালেই যাৰে-তাৰে গাত ভেলেকি বাণ মাৰি ভূত পোৱালি মেলি যায়। মোৰ হাক-বচন নামানি ডেওপাৰি ফুৰিলি, নেযাব-লগীয়া ঠাইলৈ গলি; এতিয়া এই দশা! মই বাঁৰী দুখুনী মানুহ, মোক কোনে পুতৌ কৰিব! কালিয়েই চৰতীয়া এটাৰে সৈতে তামোল-পাণ এটোপোলা দি বেজ গৰাকীক মাতি আহিলোঁগে, তেওঁ ইমান পৰলৈকে নাহিল; নাহিবই হব'লা! হে ঈশ্বৰ, যি কৰা তুমি পভু।

নৰীয়া।—(চাটিফুটি কৰি প্ৰলাপ বকে) মই যাওঁ। এৰি দে। সোটো, সোটো! ধৰে, ধৰে,—ধৰিলে! ধৰিলে ঔ! (কঁপি কঁপি চিয়ঁৰ মাৰে)

মাক।—ঔ, মোৰ বোপাইক জীয়াই জীয়াই নিয়েঔ! ধৰহিঔ, কোন্ ক'ত আছ আহঔ! মই ক'ত মৰোঁগেঔ! (ফটাকথাৰে সৈতে মূৰে-গাই ঢাকি নৰীয়াক হেঁচা মাৰি ধৰি তাৰ ওপৰত উবুৰি খাই পৰে) (বেজৰ প্ৰৱেশ)

বেজ।—হে, হে, বাৰু অ! কাক নিয় অ? কোন্ তই? বৈ যা। চা, কি কৰোঁ তোক। মই ধিতাই বেজ বুলি জানি লবি।

মাক।—(বাউলী হৈ) ঔ, মোৰ ঈশ্বৰ, ভাল ঠিকতে আহি পালাঁহি। এতিয়াই মোৰ বোপাইক জীয়াই জীয়াই নিবলৈ ধৰিছিলহি ভূতে।

বেজ।—বাৰু, আৰু ভয় নাই। আনিছোঁ মই তাৰ আহুদি। কচোন, কেতিয়াৰপৰা কি হৈছে।

মাক।—বেজদেও! কিনো কম! সিদিনা আমাৰ নামঘৰত ডাঙৰীয়া-ভকত উঠিছিল। ডাঙৰীয়া জনাই টেলেকাটেলেকি কৰা দেখি ল'ৰাটোৱে চক্ খাই উঠি চিয়ঁৰ এটা মাৰিলে। তাৰ পাচৰপৰাই জ্বৰ।

বেজ।—বুজিছোঁ। মাজৰ কেদিনৰ ভিতৰত আৰু কিবা হৈছিল নে? গমি চাচোন।

মাক।—তাৰ পাচত, ল'ৰাই হেনো এদিন বাটত ভূত-মেলা ফিচাহিনী এজনী লগ পাইছিল।

বেজ। -ওঁ। আৰু কিবা জান নে?

মাক।—নেজানো আৰু। পৰহি দিনা মাথোঁ জ্বৰৰ গাৰেই মুকলি ফুৰিবলৈ যাওঁতে, বাঁহতলত যখিনী এজনী দেখা পাইছিল হেনো।

বেজ।—ওঁ, বুজিলোঁ। তিনি ভূতে লগ লাগি উধান পাতি বহিছে; এতিয়া চকু বহুৱাবলৈ হে বাকী!

মাক।—সেইটো আৰু আপুনিহে জানা দেও! এই কেদিন সন্ধিয়াৰপৰা ফেঁচাজনীয়েও নিঙ-নিঙকৈ আছে।

বেজ।—বাৰু, ভয় নাই। পালোঁহি ভূতৰ বাপেক। চাই থাক, কি কৰোঁ তাঁহাতক। যা, বিহলঙ্গনী এমুঠি, নাইবা এৰাপাত ঢুখিলামান লৈ আহ। (জোলোঙ্গাৰপৰা মন্ত্ৰ-পুথি এখন, বগা সৰিয়হৰ টোপোলা এটা আৰু আন-আন আহিলা-পাতি উলিয়াই লৈ, নৰীয়াৰ চাৰিওফালে সৰিয়হ এমুঠি চটিয়াই দিয়ে)

মাক।—(লাহেকৈ উঠি) ভাল, আনোগৈ। বিহলঙ্গনী বিচাৰিবলৈ গলে পলম হ'ব; এৰাপাতকে আনিম নে?

বেজ।—ওঁ, সি হলেও হ'ব; পিচে বিহলঙ্গনী হলে যেনিবা ভাল। তাৰ কোবত ভূতৰ গা বৰকৈ পোৰে।

মাক।—ভাল তেন্তে বিহলঙ্গনীকে আনোগৈ। (কাচুতি এৰি ঢপলিয়াই যায়)

বেজ।—(চকু পোন্দোৰাকৈ নৰীয়ালৈ চাই) কোন্ তই? সঁচাকৈ ক। নকলেও আঁতিগুৰি উলিয়াই লম এতিয়াই। অলপ ৰবি।

(নৰীয়াই চাটিফুটিকৈ কাপোৰ-কানি পেলাই "যাওঁ-যাওঁ" কৈ উঠি বহিব খোজে)

বেজ।—(কাণ-টাল-মৰা ভেকাহি মাৰি) কলৈ যাবলৈ ওলাইছ কটা। জনা নাই, বাপেৰ আহিছোঁ বুলি। এপোটক নিদিয়াকৈ এৰি পঠিয়াম বুলি জানিছ হ'বলা? (নৰীয়াৰ বুকুত হেঁচা আৰু ডিঙ্গিত চেপা দি ধৰে)

মাক।—(পুনঃ প্ৰৱেশ) এয়া বিহলঙ্গনী দেও! আৰু কিবা লাগিব জানো?

বেজ।—বাৰু, ৰবিচোন, ওপৰে ওপৰে এজাৰণ দি চাওঁ এখোন। (চুলি মেলি লৈ বিহলঙ্গনীৰে কোবাই কোবাই জাৰিবলৈ ধৰে)

নৰীয়া।—(জঁয় পৰি, আতুৰভাৱে) পানী, পানী, পানী!

মাক।—পানী খুজিছে, অকণ দিম নে দেও?

বেজ।—ৰবি, ভূতৰ বল মৰি আহিছে। আৰু নৰম হওক। (নিগনি এটা আগেদি লৰ মাৰে) দেখিলি, সেইটো ভূত-পোৱালি এৰাই লৰ মাৰিছে। এটা জাৰণত এটা যেনিবা খেদিলোঁ, আৰু কিবা আছে নে চাওঁ। ৰবি।

(নৰীয়াআকৌ উদ্বাউল দি উঠে)

বেজ।—বাৰু, আৰু কোনোবা এজনা আছে। দেখা যাওক। যাচোন পকা জলকীয়া গোটাদিয়েক লৈ আহ।

মাক।—(হুমুনিয়াহ পেলাই) বাৰু, যাওঁ আনোগৈ।

(প্ৰস্থান)

(নৰীয়াই আকৌ প্ৰলাপ বকে)

বেজ।—ৰবি, অলপ ৰবি, আহিছে তোৰ আহুদি।

মাক।—(জলকীয়া আনি দি, আমনজিমনকৈ আঁঠু লৈ বহি একাণপতীয়াকৈ চাই থাকি) হে ঈশ্বৰ, কিৰ্পা কৰা মোৰ বোপাইক, পৰ্ভু।

বেজ।—স তোৰ আহুদি (পকা জলকীয়া এটা নৰীয়াৰ নাকত ভাঙ্গি দিয়ে)। যাবি নে নেযাব, ক এতিয়া।

(নবীয়া জলকীয়াৰ জালত চিয়ঁৰি-বাথৰি ঠেবেঙ্গা লাগে) .

বেজ।—কেনে পাইছ ? যাবি নে নেযাব ? —গলি নে নাই ?

(নবীয়াই ঢেলেকা-ঢেলেকিকৈ চিপ্ লয়)

বেজ।—(গতিক বিষম দেখি থৰ্‌থৰ্‌কৈ পুথি মোনাত ভৰাই লৈ) হুঁঃ, এটা হলেহে চাব পাৰি ; দুটা-তিনিটা ভূতে কেতিয়াবা ই পিড়ি ধৰিলে। কি কৰিম ! নোৱাৰিলোঁ ৰখাব ! (বেগাবেগিকৈ প্ৰস্থান)

মাক।--(হিয়া ভুকুৱাই) ঐ, মোৰ বোপাই কলে গলিঐ ! এতিয়াই আছিল কথা কৈ, এতিয়াই মাত হেৰালঐ ! মোৰ বোপাইৰ দেহৰপৰা জীৱটো কোনে উলিয়াই নিলিঐ !

(মুক্তিনাথৰ প্ৰৱেশ)

মুক্তি। -দেহিঐ, কেনেকৈ কি হ'ল, বাই ?

মাক।--(বাউলী হৈ) এ, কিনো সোধাঁ মোৰ দৌতা ! যি হ'ব লাগে হ'ল ! মই মাথোঁ নমৰি জীয়াই আছোঁ !

মুক্তি। নবীয়াক দৰপ-জাতি খুৱাইছিলি নে ? অকল জৰেই নে আন বিকাৰো আছিল ?

মাক।--আছিল, আছিল, আন বিকাৰো আছিল। সেয়া নহয়, বেজে কৈ গৈছে। এটা নহয়, দুটা-তিনিটা ভূতে ধৰিছিল। বেজে জানিবা জাৰি জাৰি এটা খেদিলে ; আৰু এটা খেদিবলৈ নাকত পকা জলকীয়া ভাঙ্গি দিওঁতেই ইকেটা ভূতে মোৰ পোনাক নিলেই ! ঐ, মই ক'ত মৰোঁগৈঐ ! (মাটিত পৰি মূৰ্চ্ছা যায়)

মুক্তি।—হৰি, হৰি ! কি হৃদয়বিদাৰক কথা ! ভূত-বিশ্বাস আৰু বেজৰ উৎপাতে সৰ্ব্বনাশ কৰিছে।—বাই, যি হ'ব লগা আছিল হ'ল, বেজাৰ কৰাৰ আৰু সকাম নাই। এইবোৰ সকলো মিছা ; ভূতও মিছা, বেজও মিছা। তইঁতে মিছা বিশ্বাসত ধৰি হে মৰিছ। মই বাৰু পাচত ভালকৈ ভাঙ্গি কম। এতিয়া মৰা নিবলৈ মই বেগতে মানুহ মাতি আনোগৈ। তই থিৰ হ।

(মুক্তিৰ বেগেৰে প্ৰস্থান)

(আগফালে আন পটৰ ঢাকনি পৰে)

তৃতীয় পট,—গাৱঁলীয়া মাজবাট

(ভূতনাথ আৰু ধৰ্ম্মেশ্বৰ)

ধৰ্ম্ম।—আমাৰ উদ্দেশ্য আজিলৈকে দেখোন অলপো সিদ্ধি নহ'ল ! মই আৰু ক্ৰমাৎ হতাশ হৈ হে গৈছোঁ।

ভূত।—কি কোৱাঁ ?—হতাশ ! এনে কথা মুখত নানিবাঁ, ৰাজখোৱা ! আমি যি ব্ৰত লৈ ওলাইছোঁ, তাক পালন কৰিবলৈ প্ৰাণপণে যত্ন কৰি গৈ থাকিমহঁক। "মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন।" এই দৃঢ় প্ৰতিজ্ঞা আমাৰ মনৰপৰা কেতিয়াও আঁতৰ হ'ব নালাগে। ভূত-বিশ্বাস ঠাপতে গুচোৱা বস্তু নহয়।

ধৰ্ম্ম।—বুজিছোঁ। কিন্তু মনে মানিলে হে। দুটা-এটা কাৰ্য্যৰ ফল ধৰা নেদেখিলে মনত উৎসাহ লাগিব কেনেকৈ ? আৰু এটা কথা –

ভূত।—নাই আন কথা। তোমালোক জনদিয়েকক ভিতৰি অলপ বিগৰি যোৱা যেন মই গম্ পাইছোঁ। সেই বাবে মই বৰ দুখিত ; কিন্তু হতাশ নহওঁ। তোমালোকে এৰিলেও মই আমাৰ উদ্দেশ্য নেৰোঁ, নিশ্চয় জানিবাঁ।

ধৰ্ম্ম।--আমি নো এৰিম কিয় ? —নেৰোঁ। ময়ো "নমৰোঁ-মানে চাম, হুবুৰে-মানে বাম" বুলিয়েই ধৰিছোঁ। এৰিম কিয় ?—পিচে, এটা কথা। বৰুৱা, তোমাক ভাবিবৰ মন নাই ; ভাঙ্গি কওঁ। অলপ দকৈ গমি চাবাঁ, কিন্তু বিষম নাপাবাঁ।

ভূত।—নাপাওঁ বিধম। কোৱাঁ। খোলাখুলি আলোচনা হে ভাল।

ধৰ্ম্ম।—কথা হৈছে, মন আৰু অন্তৰ একে কৰিব পৰা নাই দেখোন।

ভূত।—মই কথাষাৰ ভালকৈ তং কৰিব পৰা নাই ; আৰু অলপ মুকলিকৈ কোৱাঁচোন।

ধৰ্ম্ম।—বোলোঁ, মনে যি মানিব খোজে, অন্তৰে তাক পালিব নোৱাৰে দেখোন। অৰ্থাৎ, ভূত নামানোঁ বুলি মন বান্ধি ওলাওঁ হয়, কিন্তু সৰুৰেপৰা যিবোৰ ঠাইত ভূত আছে বুলি বিশ্বাস কৰি

আহিছিলোঁ, তাৰ ওচৰ চাপিলেই দেখোন বুকু কঁপি উঠে!

ভূত।—সঁচা।—তুমি সঁচা কথা সৰলভাৱে কৈছা। ভূত-বিশ্বাসে আমাৰ সমাজৰ হাড়ে-হিমজুৰে এনেকৈ ভেজিছে যে, তাক বাজ কৰি ততালিকে তাৰ জইন্ মাৰিব নোৱাৰি। কিন্তু, মানুহৰ অসাধ্যও একো নাই; আৰু অভ্যাসত সকলো সিজে। ভূতৰ কথা, ভূতৰ গল্প সৰুৰেপৰা শুনি শুনি বিশ্বাস কৰাৰ কাৰণে সি আমাৰ অন্তৰত এটা স্বাভাৱিক অনুভূতি (instinct) হৈ বহিছে। ভূত-বিশ্বাসে আমাৰ অন্তৰত এনে ভাৱে থিত্ লৈছে যে, তাক এৰোঁ বুলিও এৰিব নোৱাৰাত পৰিছোঁহক। কিন্তু, যুক্তি খটাই অভ্যাস কৰিলে, তাক মনৰপৰা বাজ কৰি দিয়াটো অসম্ভৱ নহ'ব।

ধৰ্ম্ম।—ঠিক কৈছা। সেইটো ময়ো কওঁ। মজে মাজে অভ্যাসতো ধৰিছোঁ। কিন্তু, মনে মানিলেও অন্তৰে নামানে। ভূত-বিশ্বাস নাহিলেও, ভয়টো স্বভাৱতে আগধৰি আহি পৰে।

ভূত।—সঁচা। এদিন-দুদিনৰ অভ্যাসেৰে ভূত-বিশ্বাস আৰু ভূতলৈ স্বাভাৱিক ভয়ৰ উদ্ৰেক হোৱাটো গুচাব নোৱাৰি। সেই কাৰণে, সততে ভূত থকা বোলা ঠাইবোৰত অকলে গৈ আত্ম পৰীক্ষা কৰিব লাগে। এনে অভ্যাস যিমান ঘন্ হ'ব, ভূত-বিশ্বাস আৰু ভূতলৈ ভয় সিমান সোনকালে গুচিব।

ধৰ্ম্ম।—যত্নৰ ত্ৰুটী কৰা নাই। দেখা যাওক, সময়ত কি ফল ধৰেগৈ।

ভূত।—ফল নিশ্চয় ধৰিব। মাথোন, নিজে অভ্যাস কৰাৰ লগে লগে আনকো অভ্যাস কৰাবলৈ আমাৰ অবিশ্ৰান্ত পৰিশ্ৰম হ'ব লাগে। বিশেষ, আমাৰ সমাজৰ অশিক্ষিত মানুহক অভ্যাসত লগোৱাৰ আগেয়ে সহজ আৰু সৰল বুজনিৰে সৈতে ভূত-বিশ্বাসৰ অমূলকতা আগধৰি কাৰ্য্যৰ পটন্তৰত দেখুৱাবলৈ চাব লাগে।

ধৰ্ম্ম।—চলিছোঁ তো সেই ভাৱেই। দেখোঁ, কিমানলৈ আগুৱাব পাৰোঁহক।—অ, আজি মিঃ ফুকনৰে সৈতে আমাৰ দেখাদেখিয়েই নহ'লচোন!

ভূত।—দেখা হোৱাৰ কথাও নাছিল। তেওঁ আজি ভূত-ভ্ৰান্তিৰ পটন্তৰ সংগ্ৰহ কৰিবলৈ গাওঁ ফুৰিছেগৈ হ'ব পায়।

ধৰ্ম্ম।—হ'ব পায়। তেওঁ হলে প্ৰাণটোঁকি লাগিছে দেই।

ভূত।—সঁচা। তেওঁৰ অন্তৰৰ ভাব আৰু মুখৰ কথাত অকণো অমিল নাই।—নেদেখা নে, মিঃ ফুকনে জয়াৰ ঠাইবোৰত কেনেকৈ বুকু ডাঠি ফুৰে!

ধৰ্ম্ম।—নেদেখিম কিয়? মই নিজে কেইবাদিনো তেওঁক অকলে কেইবাখনো জয়াৰ ঠাইত লগ পাইছোঁ। বাৰু, বৰুৱা, আজিৰপৰা ময়ো তেওঁৰ দৰেই বুকু ডাঠি ফুৰিবলৈ অঙ্গীকাৰ কৰিলোঁ। অহা মঙ্গলবাৰে আঁউসী ৰাতি, মৰৈণ পাৰৰ মৰিশালিলৈ গৈ, মই চূড়ান্ত আত্ম-পৰীক্ষা কৰিম।

ভূত।—কিন্তু, সেই পৰীক্ষাৰ নিদৰ্শন পালে হে আনে পতিয়াবলৈ চল লাগিব।—নহয় জানো?

ধৰ্ম্ম।—সঁচা। বাৰু, সেই ৰাতি মৰিশালিলৈ গৈ, মই এটা মৈদামৰ ওপৰত খুঁটি এটা পুতি থৈ আহিমগৈ। পিচদিনা তোমালোক আটাইকেইও-জনে চাবাগৈ।

ভূত।—ভাল কথা। মই আজিয়েই এই কথা আমাৰ ফুকন, স্মিথ আৰু আহ্মদক জানিবলৈ দিম। আশা কৰোঁ, আগন্তুক আত্ম-পৰীক্ষাত তুমি সুকলমে উত্তীৰ্ণ হবা। এতিয়া যাওঁগে বলা।

(দুইবো প্ৰস্থান)

চতুৰ্থ পট,—বধাকাৰ দলনিৰ ম'হখুঁটি

(এটা গুৱালৰ প্ৰৱেশ)

গুৱাল।—(আতঙ্কত অস্থিৰ হৈ ফোঁপাই ফোঁপাই) মৰিলোঁ, মৰিলো! কোনে ৰাখে আজি মোক গোসাঁই! এই নিজান খুঁটিত মই কেনি যাওঁ, ক'ত পলাওঁ! আইঔ! আকৌ পায়হি পায়হি যেন লাগিছেঔ!

(মুক্তিনাথৰ প্ৰৱেশ)

মুক্তি।--এইটোচোন গঙ্গাকাই। হেৰ, গঙ্গাকাই, তোৰ হৈছে কি? হায়ঊ-বিঊথন লগাইছ দেখোন?

গুৱাল।—এ, কিনো সোধা বুপাটি! ভাল ওলাইছাঁহি এনে পৰত। তোমাক ঈশ্বৰ হে বুলিছোঁ। সঁচাকৈয়ে তুমি মোক জীয়াবলৈ হে আহিলা বুপাটি!

মুক্তি।—কিনো হৈছে? কচোন বাৰু, ক। ইমানকৈ আতুৰ হৈছ নো কিয়? কোনোবাই কিবা কৰিলে নে কি?

গুৱাল।—বুপাটি! কিহবাই কিবা কৰিছে নে বুলি সোধাঁ। তেহে বিহাবলৈ চল লাগিব, বুপাটি। (বুকুত হাত দি ফোঁপাবলৈ ধৰে)

মুক্তি।—বাৰু, সুধিছোঁ সেই বুলিয়েই। কচোন, কিহে নো কি কৰিলে?

গুৱাল।--বুপাটি। মোক অকলে টঙ্গি-ৰখীযা থৈ আনবোৰ গুৱাল মাছ-খৰি বিচাৰি দিহাদিহি গৈছে। মই অকলে অকলে ম'হ চৰাই থাকি, ভাগৰ লগাত, সৌখিনিতে বহি পৰিলোঁ। বহি বহি ম'হজাকৰ ফালে চাই আছিলোঁ। পিচে, বৰ ভাগৰে ধৰিলে। কালি ৰাতি ভাত খাবলৈকো নহল। ভোকত পেটে কল্‌মলাবলৈ ধৰিলে। চকুৰ আগত জলক্-তবক্ যেন লাগি আহিল। বহি থাকোঁতেই টোপনিয়ে চকু দুটা মুদাই নিবলৈ ধৰিলে। এনেতে, —ঔ! বুপাটি, ধৰাঁ, ধৰাঁ মোক। ধৰিলেহিঔ। (মুক্তিৰ গাত গবামাৰি ধৰেগৈ)

মুক্তি।—ভয় নকৰিবিচোন। মই আছোঁ, একো ভয় নাই। কৈ যা কি হ'ল।—পিচে?

গুৱাল।—(টেলেকা-টেলেকিকৈ) পিচে বুপাটি, বৰ ডাঙৰ, —ঔ বুপাই। বৰ শকত। বৰ ওখ! আমাৰ গোনা ম'হটো যেন শিং-লগা—কিবা এটাই ছয়াময়াকৈ আহি মোক হেঁচা মাৰি ধৰিলেহি!- ঔ আই! মই তাৰ মুৰৰ ছাটো হে দেখিলোঁ।—তাৰ শিংযোৰ! বুপাঔ! আমাৰ মেনী ম'হ জনীৰ শিঙতকৈও দীঘল-বহল! (কঁপিবলৈ ধৰে)

মুক্তি।—বাৰু, কৈ যা। কৈ অন্ত কৰ। নকঁপিবিচোন। মই আছোঁ নহয়; ভয় নাই।

গুৱাল।—বাৰু, বাৰু, নকপোঁ, বুপাটি। (থকৰ্-বকৰ্‌কৈ) কি কম? সেই ভূতটোৱে—সেইটো ম'হ-যখ হ'ব পায়—মোক গিলিপ মাৰি ধৰিলেহি। মই মুৰপো-লোকা দি কথমপি হে এৰাই এইখিনি পাইছোঁহি, বুপাটি!

মুক্তি।—বাৰু, তই যেতিয়া সৌখিনিত বহি কল্‌মটিয়াইছিলি, তেতিয়া তোৰ সপোন দেখা যেন লাগিছিল নে?

গুৱাল।—ওঁ, হয়, বুপাটি, হয়, লাগিছিল।

মুক্তি।—বাৰু, তেতিয়া তইঁতৰ মেনী ম'হজনী কোন্‌খিনিত আছিল।

গুৱাল।—সৌখিনিত। (হাত মেলি দেখুৱায়) তাই ঠিক মোৰ পিঠিৰ পোনে পোনে বেলি ওলোৱাৰ পিনে আছিল।

মুক্তি।—আহচোন সেইখিনিলৈ যাওঁ। মই ভালকৈ চাওঁগৈ।

গুৱাল।—উহুঁ, মই নেযাওঁ, তুমিয়েই যোৱাঁ, বুপাটি। মই ইয়াৰপৰাই দেখুৱাম (ঠক্‌ঠককৈ কঁপে)

মুক্তি।—বাৰু, আহচোন আহ। কিহৰ ভয়, মই আছোঁ নহয়? (মুক্তিয়ে হাতত ধৰি টানি নিয়ে। গুৱাল কঁপি কঁপি চুঁচৰি যোৱাদি থকৰ্-বকৰকৈ যায়)

গুৱাল।—তুমি মোৰ কাষৰপৰা নেযাবাঁ আকৌ?

মুক্তি।--বাৰু নাযাওঁ। তই আগৰ ঠাইতে আগৰ দৰে বহচোন।

গুৱাল।—(কাওবাওকৈ) এ-হে-এ, মই নোৱাৰোঁ বহিব। ভূতটোৱে আকৌ হেঁচা মাৰি ধৰিবহি!

মুক্তি।—নধৰে বাৰু, বহচোন। (হেঁচা মাৰি বহুৱাই মুক্তিয়ে গুৱালৰ পিচ্‌ফালে থিয় দি নিজৰ বাহু দুটা তুলি ম'হৰ শিঙৰ দৰে ঘোৰ খুৱাই হেন্দোলনি দিয়ে) কচোন বাৰু, আগত কি দেখিছ?

গুৱাল।—তোমাৰ ছাটো দেখিছোঁ, বুপাটি। ম'হৰ শিঙৰ দৰে তোমাৰ হাত দুখন তুমি ঘোৰখুৱাই লৰাইছা।

মুক্তি।—বাৰু, তোৰ মেনী ম'হজনী আছিল কোন্‌খিনিত ?

গুৱাল।—ঠিক সেই খিনিতে। তুমি থিয় দিয়া ঠাইতে।

মুক্তি।—বাৰু, তেন্তে তই এতিয়া দেখা ছাঁটো মেনী ম'হজনীৰ ছাঁ নো নহ'ব কিয় ?

গুৱাল।—(অলপ তং কৰি) হ'ব পাৰে।

মুক্তি।—আৰু, তেতিয়া তোৰ সপোন দেখা যেন লাগিছিল ; সপোনত নাভূত-নাশ্রুত কাণ্ড দেখি,—নহয় জানো ?

গুৱাল।—হয়। সপোনতো দিঠকত দেখাৰ দৰে দেখি।

মুক্তি।—তেন্তে আচল কথা বুজাই কওঁ, শুন্। ভোকত তোৰ গা এনেয়ে আচন্ৰাই কৰি আছিল। তাতে ভাগৰ-টোপনিৰ জিলিমিলিত কিবাখন দেখিলি। ছাঁটোকে বাঘটো যেন দেখাৰ কথা তই জানই। তইঁতৰ মেনী ম'হৰ ছাঁটোকে সেই অৱস্থাত তই কিবা এটা যেন দেখিলি। আচলতে সি ভূত নহয়। সেইবোৰকে নজনা মানুহে মিছাঁমিছিকৈ ভূত ভাবি ভয় খায়। বোলে, বনৰ বাঘে খাওক-নাখাওক মনৰ বাঘে খায়।—নহয় নে ?

গুৱাল।—(তং কৰি চাই) হয়। স্বৰূপ কৈছা, বুপাটি ! বাৰু, এতিয়াৰপৰা এই কথা মনত ৰাখি ফুৰিম। আনবোৰ গুৱালকো আহিলে কম। ভাল গিয়ান দিলাঁ, বুপাটি।

অঙ্কপাত

চতুৰ্থ অঙ্ক

প্ৰথম পট,—শিৱদোল

(এজন সন্ন্যাসী আৰু দুজন "ছেলা")

১ম ছেলা।—(ভাং মলি মলি) বেবাজী, হামি ইস্কু মলি মলিকে একদম্ জহৰ বনাই দেগা। আপুনি দেখেগা।

সন্ন্যাসী।—হাঁ, আচ্ছেই হে, বানাওঁ।

২য় ছেলা—চাওঁ, ভাই, মোক দিয়াচোঁ ; ময়ো এমলা মাৰি দিওঁ। (১ম ছেলাৰপৰা ভাং-টিকিৰা নিজৰ হাতলৈ লৈ মলি মলি-সন্ন্যাসীক দি) দেখিয়ে বেবা, হামি মলি মলিকে একদম্ বৰএঠাকা মাফিক্ লেটেকা কৰি দিয়াহৈঁই।

সন্ন্যাসী।—(গোটাদিয়েক টিপনি দি ভাংটিকিৰাটো ১ম ছেলাৰ হাতলৈ দি) ইচিকো জহৰ বল্‌তা। আভি কুঁটকে লাগাও।

১ম ছেলা।—বহুত এচ্ছা বেবা ! (ভাং কুটিবলৈ লাগি যায়)

২য় ছেলা।—এচ্ছা, বেবা ! হামি এক বাট পুছিব মাঙ্গিছে।

সন্ন্যাসী।—আচ্ছা পুছও, ক্যাবাত্।

২য় ছেলা।—বেবা ! আপুনি এন্ধাৰ ৰাতি মৰিশালিমে কিয়া আস্তে হৰ্দম যাতাহে ?

সন্ন্যাসী।—যাতাহৈঁই বহুত-বড়া কামকোৱাস্তে।

২য় ছেলা।—কিয়া কাম, বেবা ?

সন্ন্যাসী।—ওই কাম্‌কা বাত্ আভি তোম্‌কো বাটানেকো বখত্ নাহিহৈঁই।

২য় ছেলা।—এচ্ছা বেবা ! হুৱা যানেকো আপ্‌নাকো ডৰ্ নাহি লাগে ?

সন্ন্যাসী।—ক্যা ডৰ্ ? কিচ্‌কো ডৰেগা ?

২য় ছেলা।—কিয়, ভূতকো নাই ডৰ্ কৰেগা ?

সন্ন্যাসী। আৰে, চব ভূতকো হাম আপনা কৰ্কে লিয়াহৈঁই, আভি হাম ভূতকো নাহি ডাৰ্‌তাহৈঁই।

২য় ছেলা।—ভূত কেইচা মাফিক আপোন হগা বেবা ?

সন্ন্যাসী।—আৰে, বুৰ্বক ! পঞ্চভূত তো হামাৰা আপ্‌না বদনমেই হেঁয়। উচ্‌মে বাহৰকা তবাম ভূত জম্‌গিয়াহৈঁই। আভি হাম্ পূৰা ভূত হো গিয়াহৈঁই।

২য় ছেলা।—(আতঙ্কিত হৈ মনে মনে) কিনো কয় এওঁ ! এওঁ হেনো নিজেই এটা পূৰা ভূত ! বুপায়ও, আমিচোন আচলটোৰে সৈতেই সঙ্গ পাতিছোঁহি !

১ম ছেলা।—(ভাংচিলিম লগাই আগবঢ়াই দি) ধৰিয়ে বেবাজী।

সন্ন্যাসী।—(ভাংচিলিম টানিবলৈ দিহা লগাই লৈ) বোম্ সদাশিৱ, বোম্ কৈলাসপতি, বোম্ মুক্তিনাথ বাবা, বোম্! (চিলিমত টান মাৰি নাকে-মুখে ধোৱাঁ এৰি, তাৰ পাচত আকৌ দুটা টান মাৰি লৈ চিলিম ছেলাৰ হাতলৈ দিয়ে) আভি পিউ তোম্‌লোক্। (চকু মুদি ধ্যানত মগ্ন হয়)

২য় ছেলা। (ফুৰ্ত্তিৰে সৈতে ভাং চিলিম টানিবলৈ চিয়াই লৈ) বোম্ মহাদেব! বোম্! (দীঘলকৈ টান মাৰি নাকে-মুখে ধোৱাঁ উলিয়াই চিলিমটো প্ৰথম ছেলালৈ পাৰ কৰে)

১ম ছেলা। (টানিবলৈ দিহা লগাই লৈ) বোম বোম বোম মহাদেব! খানেবালাকো খড়ি মাটি, দেখনেৱালাকো পেট ফাটি, বোম্! (দীঘলকৈ এটা টান মাৰি চিলিমৰ ওপৰলৈ জুই উলিয়াই নাকে মুখে ধোৱাঁ বাহিৰ কৰে)

(১ম আৰু ২য় ছেলা কেইবাৰমান ভাংচিলিম দুইৰো মাজত সলনা সলনিকৈ টানি জলকা লাগে)

২য় ছেলা। —(চক লৈ) জানিছাঁ নে ভাই, এও বেবাজী তেনো নিজেই এটা ভূত!

১ম ছেলা। ও, শুনিলোঁ তো এতিয়াই তেও কোৱা। আৰু, শুনিছোঁ এওঁ তেনো মৰিশালিলৈ গৈ মৰা শবৰ ওপৰত বহি মযাপী ভূতৰ লগত কথা পাতি থাকেগৈ।

২য় ছেলা। নিজে ভূত নহলে নো বাৰু এনে অদ্ভুত কাম কৰিব পাৰে নে?

১ম ছেলা। নোৱাৰে, নোবাৰে। আৰু, কাৰ সাধ্য অকলে মৰিশালিলৈ যায় এন্ধাৰ ৰাতি!

২য় ছেলা। পিচে, আমি এনে জনৰে সৈতে সঙ্গ পতাটো ভাল হৈছে জানো? এওঁ আমাক ছলিছে যেন পাইছোঁ।

১ম ছেলা।—উহুঁ, নাই হোৱা, নাই হোৱা ভাল। কেতিয়াবা ৰক্ষকেই ভক্ষক হ'ব পিচে।

২য় ছেলা। (ধ্যানমগ্ন সন্ন্যাসীৰ চকুলৈ আঙুলিয়াই) চোৱাচোঁ, চোৱাচোঁ হেৰা, চকুযোৰে কেনে কৰিছে।

১ম ছেলা। —ঐ আই! হয়ো কি নহয়! চকু-আঙনিয়েদি কিবা এটা ওলায়-ওলায় যেন দেখি যাওঁচোন।

২য় ছেলা।—নেদেখি নো কি! ঐ আই! চাওঁতেই ধৰেহি যেন লাগি যায়! জানিছানে, এই ছেগতে পলোৱা হে ভাল। নহলে—

১ম ছেলা।—নহলে ধৰিবহি কোনোবা এছেগত। আহাঁ, আহাঁ, দেও, আঁতৰোঁ। লাহে লাহে। তেওঁ গম্ নোপোৱাকৈ। আহাঁ, আহাঁ, আহি থাকাঁ। (খাজ মাৰি মাৰি আঁতৰে)

২য় ছেলা। এৰা বলাঁ, বলাঁ। ধীৰে ধীৰে (দুয়ো হাতৰ সাৰে ভৰিৰ সাৰে এখুজি-দুখুজিকৈ আঁতৰি গৈ থাকে)

সন্ন্যাসী।—(চকু মেলি) আৰে! ক্যা হোৱা তোম্‌লোগ্‌কো! কাহা ভাগ তাহেঁই?

১ম ছেলা।—ঐ আই! চকু নে জুই ঐ এইকুৰা!

২য় ছেলা।—বুপাইঔ! চকু চমক লগাই নিছে! ভূত নহলে নো এওঁ এনে অগ্নিবাণ মাৰিব পাৰে নে?

সন্ন্যাসী।—(থকত টেলেকাকৈ চাই) ক্যা বল্‌তাহেঁই তোম্‌লোগ্?

১ম ছেলা।—হেৰৌ কি চাই আছ ঐ! ধৰেহি এতিয়া! সঁচাকৈয়ে এইটো ভূতে ধৰে এতিয়া আমাক ঐ!

২য় ছেলা।—ঐ ধৰিলেঔ! খালেঔ। মৰিলোঁ ঐ! (১ম ছেলাক গৰামাৰি ধৰে, আৰু দুয়ো গৰীযাগৰিকৈ ভয়ত কোঢাল লগাই লৰি পলায়)

সন্ন্যাসী।—(আচৰিত হৈ থিয় দি) এ ক্যা বাত? ক্যা হোৱা ইন্‌লোগ্‌কো? আৰে, জেৰা ঠাৰ, শুন্ লও হামাৰা বাত্। (পিচে পিচে বেগেৰে খেদি যায়)

দ্বিতীয় পট,—গাঁৱলীয়া খালবাট

(দুজন গঞা)

১ম গঞা।—(প্ৰৱেশ) উঃ, এনে জয়াৰ ঠাই দেও! গোটেইখন নিজান-নিটাল। কেনিও দেউ-মনিচ্ এটি দেখিবলৈ নাই। এই নেসেনা বাটেদি অকলে

অহাটো ভাল হোৱা নাই একা। কাকো লগ-ভাগ লৰলৈকো নহ'ল। কি কৰিম, সিজনীয়ে আকৌ তত্ দিলেহে! ইঃ, গাটো জিকাৰি উঠেচোন! কি কৰোঁ। আগলৈ চালেও মৰোঁ, পিচলৈ চালেও ডৰোঁ!

২য় গঞা।—(প্ৰৱেশ) অ, সেইটি মঘুৱা ককাই নে? কলৈ যা, ককাইটি?

১ম।—(মনত) উঃ ৰইখা পালোঁ দেও। (ফুটাই) হয় ভাইটি, তইঁতৰ গাঁৱলৈকে বুলি আহি আছোঁ।

২য়।—সকাম?

১ম।—এ, কিনো কম বুপাই! মোৰ ল'ৰাটিৰ টান নৰিয়া। আজি দুদিনমানৰপৰা যোৱা-থোৱা। কালি দুপৰীয়া বাজলৈকে উলিয়াইছিলোঁ!

২য়।—পিচে?

১ম।—পিচে, সেই দৰেই আছে। আজি পুৱা মঙ্গলতীয়ে কৈছেহি, বোলে জলশাই ডাঙৰীয়াৰ দোষ লাগিছে। সেই দেখি, ভকতক চাউল একঠা খুৱাবলৈ বুলি আম্‌ৰলীয়া হাঁহ এটা বিচাৰি ওলাইছোঁ। পাম নে তইঁতৰ গাঁৱত?

২য়।—ওঁ, পাবি। পিচে, এটা কথা নহয়! জল্‌শাই ডাঙৰীয়াৰ হৈ বগা হাঁহেৰে হে চাউল খুৱায়। ক'ত নো বুঢ়া হলি, ইমানটো কথাৰে বুজ নাই।

১ম।—এৰা, বুপাই! কিবা বোলে নে, চনবলিয়াৰ দৰে হে হৈছোঁ। নৰীয়াক পৰ দিওঁতে দিওঁতে চকুৰ টোপনি আৰু পেটৰ ভাতো হেৰাইছে।

২য়।—নকবি আৰু ককাইটি। মোৰো সেই দশা!

১ম।—কিয়, কি হৈছে? তইঁতৰ ঘৰতো কিবা পয়মাল হৈছে নে কি?

২য়।—নহয় নো কি আকৌ? আজি সাদিন একেটা জ্বৰে মোৰ সৰু ছোৱালীটি চেপেটা কৰিলে ককাই! গল ৰাতিৰপৰা আকৌ কোনোবা এজন দেউ-ভূত লাগিছেহি; নৰীয়াই চাটিফুটিকৈ বলকিব লাগিছে, তৰণিকে পোৱা নাই!

১ম।—পিচে, কি বেৱস্থা নো কৰিছ?

২য়।—কৰিম নো কি! জৰী এগছকে জৰাই নিবলৈ বুলি, তইঁতৰ গাঁৱৰ 'পণ্ডিত-বুঢ়া'ৰ কাষলৈ লৰি আহিছোঁ। পামগৈ নে তেওঁক ঘৰত?

১ম। - ওঁ পাবিগৈ। মই আহোঁতে তেওঁ খাই উঠি মুহদি লৈছিল। যা, যা, পণ্ডিত-বুঢ়াৰ জৰীয়ে বৰ গুণ দিব।

২য়।—এৰা, তেওঁৰ বৰ নাম। তেওঁৰ নাম শুনিলেই হেনো ভূত পলায়।

১ম।—নকৈছোঁ তেওঁ এগৰাকী বৰ বিচৈথনীয়া বেজ। অঃ, তেওঁৰ গাত ভালেমান গুণ আছে, বুপাই।

২য়।—আৰু নো কি গুণৰ কথা কৈছ?

১ম। —ঔ ৰাম! তেওঁক ভূতেও বাট এৰি দিয়ে নহয়। তেওঁৰ হাতত যে বেৰী-দিয়া লাখুটিডাল দেখিছ, তাতে আছে সোপায়।

২য়।—কেনেকৈ, কেনেকৈ? ভাঙ্গি কচোন।

১ম। বাৰু, কওঁ শুন্। বেৰীটোৱেপতি একোফাঁকি মন্ত্ৰ, বুইছ? যি ভূতেই হওক, তেওঁ লাখুটিডাল দাঙ্গিলেই চাঁত্‌কৰে আঁতৰ হয়।

২য়।—ভালেটি হে! তেওঁ সিদিনাখন আমাৰ গাঁৱত নৰীয়া চাই ৰাতি ঘৰলৈ উলটিছিল, জানিছ? মঙ্গলবাৰ, আঁউসী ৰাতি। এই ঠাইতে কোনোবা থিনিত, ঔ-গছ এজোপাত এটা ভৰি আৰু বাটৰ সিপাশে পমাগছ এজোপাত আনটো ভৰি দি, কন্ধ্ এটাই তেওঁক আগচি ধৰিছিল। পিচে, তেওঁ হাতৰ লাখুটিডাল টোৱাওঁতেই চাঁত্‌কৰে কন্ধটো মগ্নাপী হ'ল।

১ম। (জিকাৰ খাই উঠে) ঔ ৰাম! এই থিনিতে! ইপাশে সৌ জোপা ঔ-গছ, সিপাশে সৌ জোপাচোন পমা গছ! আমি তং কৰাই নাই। ভাইটি, চাপি আহ। গালৈকে টান পৰিলচোন!

২য়।—হয় যে নহয়! (চঁক্ লৈ চাপি যায়) আৰু হেনো ককাইটি,—

১ম। আৰু? জুৰিছে ইমানেই। তেও বাৰু, কচোন আৰু কি?

২য়।—কন্ধ্‌টোৰে হেনো এইখিনিত,—ঔ আৰু, এই-খিনিতে!—এইখিনিত ছলিব নোৱাৰি আকৌ আগচি ধৰিলেগৈ। পোনতে সি কলা মেকুৰী এটা হৈ তেওঁৰ আগেদি পাৰ হয়; তাৰ পাচত, আৰু অলপ আগত গৈ, পথালিকোমোৰা এটা হৈ পণ্ডিত-বুঢ়াৰ ঠেংতলে সৰকিবলৈ বাগৰি আহিছিল। এনেতে—

১ম।--কিয়, কিয়, ঠেংতলে সৰকে কিয়?

২য়। নেজান নে? ভূতে ঠেংতলে সৰকিবলৈ পালেই জানিব, সি তোক ছলিলে! ক'ত নো বুঢ়া হলি, ইমানটো কথাকে নেজান! কওঁ শুন্। তোক যদি ভূতে তাৰ ঠেংতলে সৰকাব পাৰিলে, তেনে-হলে সি লাগিল তোৰ পিচ্। আৰু, ভূতে যদি তোৰ ঠেংতলে সৰকিবলৈ সুৰঙ্গা পালে, তেনেহলে তো কথাই নাই, তেতিয়াই তোক ছলিব! ভূতে এইদৰে ছলিয়েই তো আমাক খাইছে! ভূত ময়াপী। আমি কণা মনিচ্, তাক নেদেখোঁ। সি কিন্তু দেওচকুৰে আমাক দেখি থাকে। বেজ-গিয়ানীয়ে মাথোঁ মন্ত্ৰৰ বলত ভূত দেখা পায়। সেই গুণে হে তো পণ্ডিত-বুঢ়াই কন্ধ্‌টোক আগধৰি দেখা পালে। দেখা পায়েই মন্ত্ৰেৰে বেৰী লগোৱা তেওঁৰ হাতৰ লাখুটিডাল যেই টোঁৱালে, সেই চাত্‌কৰে ময়াপী হৈ ভূতটো খিতাতে নেদেখা হল।

১ম।—পিচে, পিচে তেওঁক ছলিব পাৰিলে নে?

২য়।—নাই, নোৱাৰিলে। কোমোৰাটো কাষ চাপোঁতেই পণ্ডিত-বুঢ়াই কিবা মন্ত্ৰ এফাঁকি মাতি লাখুটিৰে নৈতে তাৰ গাত মাৰ এটা মৰা মাত্ৰকে কন্ধ্‌টোৱে কোমোৰাৰপৰা ফুটি ওলাই নিজ ভেশ ধৰি লৰ মাৰিলে।

১ম।--ইঃ, ৰাম-ৰাম! ৰাম-ৰাম! আমি হোৱা হলে পতং!

২য়।—পতং বুলিছ হে! আমাৰ গাত কি মন্ত্ৰ আছে, তেনে ভূতৰপৰা সাৰিবলৈ?

১ম।—ভাল কথাটো শুনালি, বুপাই! পিচে, কৰোঁ কি এতিয়া? আগুৱাবলৈকো ভয়, পিচুৱাবলৈকো ভয়! অকলে আৰু খোজ এটাকে লৰাব নোৱাৰোঁ, বুপাই! তই হলেও মোৰ লগত উভতি বল, মই হলেও তোৰ লগত উভতি যাওঁ। -কি বোল? পলমে বিঘিনি মিলাব এতিয়া!

২য়।—এৰা, বিবুদ্ধি! মই হলে উভতিব নোৱাৰোঁ ককাইটি, মোৰ ছোৱালীটি যায়-যায়!

১ম।—মোৰ ল'ৰাটোৰ অৱস্থাও যে তেনেকুৱাই। ল'ৰাৰ যি কি নহওক, শুদা হাতে উলটিব লাগিলে, সিজনীৰপৰা ৰইখা পোৱাই টান হৈছে নহয়। নিৰুপায়!

(ভূতনাথৰ প্ৰৱেশ)

২য়।—কোন্ হে সেইটি? অ, আমাৰ বপা। বপা, কোন্ ফালে বা যায়?

ভূত।—আহিছোঁ এই ফালেই। সম্প্ৰতি তইঁতৰ ওচৰলৈকে।

১ম।—কিয় বুপাটি, আমি কিবা লেঠা লগালোঁ নে কি?

ভূত।—এৰা, লগাইছ তো। পিচে, লেঠা বাহিৰত নহয়, ভিতৰত হে। তইঁত দুয়ো ইয়াত যিবোৰ কথা-বাৰ্ত্তা পাতি আছিলি, মই সৌ জোপাটোৰ আঁৰৰপৰা আটাইবোৰ শুনি আছিলোঁ। তইঁতৰ ভিতৰত যি লেঠা লাগিছে, তাকে ভাঙ্গি দিবলৈ বুলি হে চাপিছোঁহি।

১ম।— ভাল, বুপাটি! কিবা লেঠা দেখিছা যদি, যেনেকৈ ভাঙ্গিব পাৰা, ভাঙ্গি দিয়াঁ। আমি মান্তি আছোঁ।

ভূত।—বাৰু, তইঁতে আৰু আগুৱাবও নালাগে, পিচুৱাবও নালাগে। দুয়ো মোৰ লগত মই অহা মাজবাট ধৰি আহইঁক। মই নিৰলে তইঁতৰ ভিতৰুৱা লেঠা ভাঙ্গি দি সকলো অপায় খণ্ডাই দিওঁগৈ আহইঁক।

১ম।—ভাল, বলা, বপা, আগ হোৱাঁ। পিচে, সেই ফালে হাঁহ কিনিবলৈ পোৱা হ'ব জানো?

ভূত।—হাঁহ নিকিনাকৈ আৰু বেজ নলগোৱাকৈয়ে তইঁতৰ নৰীয়া ভালকৈ দিওঁগৈ, আহচোনইঁক বাৰু। তইঁতে মিছাতে, ভ্ৰমত পৰি হেবাধুৰি খাই ফুৰিব নালাগিব

আৰু ; মোৰ বুজনি মানি চলিবিইক মাথোন। ভূত বুলি একো এটা নাই ; সেইটো মনৰ ভ্ৰম হে।

২য়।—অঃ, তেনেহলেচোন ভালেই। বাৰু, বলাঁ, বলাঁ বপা, বলাঁ।

(তিনিওৰো প্ৰস্থান)

তৃতীয় পট,—মৰনৈপাৰৰ মৰিশালি

(ধৰ্ম্মেশ্বৰ অকলশৰে)

ধৰ্ম্মেশ্বৰ।—(গাত আঁঠুলৈকে পৰা এটা দীঘল এঙাচোলা, কঁকালত তললৈ ফেৰমেলা থোৰেৰে পাটৰ চুৰিয়া, ভৰিত জোতা-মোজা, এহাতে এটা জোঙাল বাঁহৰ খুঁটি, ইহাতে এডাল টাঙোন) উঃ। কি জয়াৰ ঠাই। চাৰিওপিনে ঘোপ মৰা আন্ধাৰ! এনে ক্ষণত এনে ঠাইলৈ মানুহৰ যে সমাগম নায়েই, দেৱতাৰো দৃষ্টি নপৰে! ভালেতো হে মানুহে ভয় কৰে। ভূত নাই বুলি অন্তৰত মোৰ বিশ্বাস যদিও, মনে নামানে, বুকু কঁপি উঠে। উঃ। কি ভয়ঙ্কৰ দৃশ্য। অন্তৰত কি উগুলথুগুল ভাব! কি যে বিষম বিশ্বাস! ভূতৰ ভয় অন্তৰত ইমান দকৈ বহি গৈছে যে, তাক যুক্তিৰে সৈতে ৰুকি উলিয়াব নোৱাৰি। সৰুৰেপৰা শুনি থকাৰ ফলত, ভূত-বিশ্বাস এতিয়া এটা মোৰ স্বাভাৱিক প্ৰবৃত্তি হৈ পৰিছে। ইয়াৰ স্থিতি যুক্তিৰ অতীত। মোৰ নিজৰ বিশ্বাস, ভূত নাই। লোককো বুজাওঁ, ভূত নাই। কিন্তু, সময়ত নিজৰ সেই ধ্ৰুৱ বিশ্বাস তল পৰে, আন্তৰিক অনুভূতি (instinct) ওপৰ উঠে। নিজৰ যুক্তি এতিয়া নিজতে খটাব নোৱাৰা হৈছোঁচোন। ইঃ! গাটো কেনেকৈ জিকাৰি উঠে! পিৰ্ পিৰ্ কৈ গাৰ নোমবোৰ কেনেকৈ শিয়ঁৰি উঠিছে। উঃ, হাত-ভৰিবোৰচোন অৱশ হৈ যোৱা যেন লাগিছে। কি কৰোঁ? ভাবিবৰ আৰু সময়ো নাই। অনা-গুণাকৈ থাকোঁতে, উদ্দেশ্য সিদ্ধি নহ'বগৈ যেন দেখিছোঁ। যি আছে কপালত, যাওঁ, এটা মৰিশালি-ভেঁটিৰ ওপৰত খুঁটিটো মাৰি থৈ পলাওঁ। কোনোমতে তাকে কৰি উলটিব পাৰিলেই ৰক্ষা। আৰু পলম কৰিবৰ সকাম নাই। খুঁটিটো পুতিবই লাগিব, নহলে কাইলৈ সিবিলাকৰ আগত কোন সতে মুখ দেখুৱাম! সৌটো কেঁচা ভেঁটি। তাৰ ওপৰত খুঁটিটো মাৰিবলৈকে অঙ্গীকাৰ কৰিছিলোঁ। যাওঁ, (থৰক-বৰককৈ গৈ মৰিশালি-ভেঁটিৰ ওপৰত থিয় হৈ, চকু-আখি মুদি, চাপৰোঁতে লেট্‌থাই পৰা চুৰিয়াৰ থোৰৰ আগ জপতিয়াই পৰাত তাৰ ওপৰতে কণামুনাকৈ খুঁটিটো পুতি স্নাতৰি আহিবলৈ ধৰোতে লাগি ধৰাত চিয়ঁৰ ধৰে)—ঔ। ধৰিলেঔ! মোক ভূতে ধৰিলেঔ। কোন ক'ত আছ, আহ ঔ! (এৰাবলৈ টনাটনি কৰি) ঔ নেৰে ঔ! নিয়ে ঔ! ৰাখ্ হি ঔ। মোক জীয়াই জীয়াই গাঁতৰ ভিতৰলৈ নিয়ে এতিয়া ঔ। হেৰৌ, ভূত আছে ঔ। ভূত আছে বুলি এতিয়া হে জানিলোঁ ঔ। সঁচাকৈয়ে ভূত আছে ঔ। মৰিলোঁ, মৰিলোঁ, জীয়াতে মৰিলোঁ ঔ। হায় বিধি, মোক কি হে আনিছিল ইয়ালৈ ঔ। কেনেকৈ এৰাও এতিয়া ভূতৰ হাতৰপৰা ঔ। (চুৰিয়া এৰি এৰাই লৰ মাৰে।)

অঙ্কপাত

পঞ্চম অঙ্ক

প্ৰথম পট

ধৰ্ম্মেশ্বৰৰ ঘৰৰ কাষৰ উলুৱনি চাপৰি

(ভূতনাথ, মুক্তিনাথ, সোণেশ্বৰ আৰু ফজলুৰ)

ভূতনাথ।—আমি এইখিনিতে ৰওঁ। মিঃ ফুকন যাওক, মিঃ ৰাজখোৱাক উলিয়াই আনকগৈ।

মুক্তি।- বাৰু। (প্ৰস্থান)

ফজল।– কিয়, আটাইবিলাক যাওঁচোন। তেওঁৰ ঘৰত বহিবলৈ মুঢা চকীৰ নাটনি নপৰে।

ভূত।—নহয়, তুমি বুজা নাই। আটাইবিলাকক দেখিলে ৰাজখোৱাৰ আইতাকে ভিতৰত কেপকেপাই উঠিব, ঘাইকৈ মোক দেখিলে।

সোণেশ্বৰ।—কিয় ?

ভূত।—মই হেনো তেওঁৰ ল'ৰাটো দেউ-ভূত নমনা কৰি খ্ৰীষ্টান কৰিব খুজিছো।

(ধৰ্ম্মেশ্বৰৰে সৈতে মুক্তিনাথৰ পুনঃ প্ৰৱেশ)

ফজল।—কি ভাই, কি খবৰ ?

ধৰ্ম্ম।—খবৰ ভালেই।

সোণ।—পিচে, মৰিশালিত খুঁটি পোতা হল জানো ?

ধৰ্ম্ম।—(গহীনাই) উঁ-উঁ-উঁ। দেখিলেই লেখিবা নহয়।

ভূত।—বেচ কথা। বৰ সন্তোষ লগা কথা। Thanks !

(ধৰ্ম্মেশ্বৰৰ হাতত ধৰি শলাগৰ হাত-জোকাৰণি দিয়ে)।

সোণ।—বেচ, ময়ো ধন্যবাদ দিছো। (ধৰ্ম্মক হাত-জোকাৰণি দিয়ে)

মুক্তি।—ইয়াত আৰু পলম কৰাৰ সকাম নাই। যাওঁ, বলাহক, আচল ঠাইত উপস্থিত হৈ আলাপ-আলোচনা কৰোঁগৈ।

ভূত। এৰা, যাওঁতে যাওঁতেও আমি কথা-বাৰ্ত্তা পাতি যাব পাৰিমহঁক। যাওঁতে আমাৰ ভৰিয়ে হে কাম কৰিব, মুখৰ আজৰি থাকিব নহয়। কি বোলাহঁক ?

ফজল।—কি বুলিম, হয় বুলিছো। বাঃ! মিষ্টাৰ বৰুৱাৰ কথাৰপৰা ৰস বৈয়েই থাকে; যেনিবা মৌ-চাক্ হে!

মুক্তি।—মৰিশালিলৈকে পোনাই যোৱা হওক, দুপৰীয়া খোৱাৰ পৰত উলটি ঘৰ পাবগৈ লাগে। বলাহঁক।

(সকলোটিৰ প্ৰস্থান)

দ্বিতীয় পট,—মৰনৈপাৰ, মৰিশালি

(ভূতনাথ, মুক্তিনাথ, ধৰ্ম্মেশ্বৰ, ফজলুৰ আৰু সোণেশ্বৰৰ প্ৰৱেশ)

ফজল।—ক'তা ভাই, কেনি ? ইঁচাকৈয়ে মাৰিলা নে খুঁটিটো ? কোনটো ? চাওঁ, কবৰৰ ওপৰতে মাৰিলা নে ?

ধৰ্ম্ম।—(নিৰ্জ্জুভাৱে) সৌটো নহয়, য'তে মাৰিছিলোঁ ত'তে আছে। চাই থাকাগৈহঁক।

সোণ।—সৌটো হয়। আহাঁচো, আহাঁচোহঁক চাওঁগৈ, আমি চিন্ লগাই দিয়াটো খুঁটিয়েই হয় নে নহয়। চিন্ লগাটো নহলে গ্ৰাহ্য নহব কিন্তু; কাৰ খুঁটি, কোনে পুতিলে, কি ঠিক ?

(আটাই কেইওজন খুঁটিৰ ওচৰলৈ চাপি গৈ খুটিটো বেৰি ধৰি চায়)

মুক্তি।—অঃ, হয়। সেইটোৱেই। আমি চিন্ লগাই দিয়া খুঁটিটোৱেই। সৌটো নহয়, চিন্ ওলাই আছে!

ভূত।—নহ'ব নো কিয় ? সেইটো খুঁটিকে, মিঃ ৰাজ-খোৱাই সুপুতিলে নো.আন ক'ৰ খুঁটি কোনে পুতিবহি ?

ফজল।—হয়তো। তেওঁ নো ইমানটো কথাতে বেইমানি কৰিব নে ? কথাত ৰব নোৱাৰিলে চৰম হ'ব বুলি তেওঁ জানো নেজানে ? (খুঁটিৰ তললৈ তং কৰি চাই) হেৰাহঁক, হৌখন কাৰ কি আকৌ, মন কৰিছাহঁক নে ? এখন পাটৰ চুৰিয়াৰ খোৰতে দেখোন গোঁজটো!

সোণ।—ই, এ! হয়ো কি নহয়। সেইখনচোন মিষ্টাৰ ৰাজখোৱাৰ চুৰিয়া যেন দেখি।

ফজল।—(জুমি-জুমি চাই) নহয় নো কি! ইঁচা, হিদিনা তেওঁ মিটিঙলৈ পিন্ধি অহা চুৰিয়াখনেই।

মুক্তি।—হয় নে ? চাওঁচোন (হাতলৈ এঁকাচল তুলি লৈ চাবলৈ ধৰে)

ভূত।—অতি আচৰিত কথা!

ধৰ্ম্ম।—আচৰিত হ'বলগীয়া কথা একো নহয়। সেইখন মোৰে চুৰিয়া সঁচা। (লাজত তলমূৰ কৰি ৰয়)

ভূত।—কি! আচল কথাটো কি ? ভাঙ্গি কোৱাচোন। মিঃ ৰাজখোৱাই দেখোন মনটি আমোলাই পেলাইছা ?

ধৰ্ম্ম।—আচল কথা কবলৈকে লাজ লাগে, মিঃ বৰুৱা! কালি কথাত বান্ধ খাই আহিলোঁ হয় খুঁটি পুতিবলৈ, আৰু পুতিলোঁও খুঁটি; কিন্তু গা-মনৰ অস্থিৰতাত নিজৰ চুৰিয়াৰ খোৰটো জপতিয়াই

মাটিত লেট্‌খাই থাকোতে তৰ্কিব নোৱাৰি তাৰ ওপৰতে খুঁটিটো পুতিলোঁ। পুতি লৈ মহা বিপদত পৰিছিলোঁ!

মুক্তি।—কিয়? কিয়নো গা-মনৰ অস্থিৰতা ঘটিছিল?

ধৰ্ম্ম।—কিয়, কিনো কম এতিয়া! কবলৈকে লাজ লাগে। মই মাজে-সময়ে কথা-প্ৰসঙ্গত কৈয়ে আহিছোঁ নহয়, বোলোঁ, মনে মানিলেও প্ৰাণে নামানে। নাভাবোঁ বুলিলেও, ভূত-বিশ্বাসৰ ভাব আপুনি আহে; কিনো কৰিম এতিয়া!

ভূত।—পিচে? তাৰ পিচে?

ধৰ্ম্ম।—পিচে আৰু যি হ'ব লাগে হ'ল! মৰিশালিত থিয় দিয়া মাত্ৰকে,—কি জানো কিয়,—মোৰ বুকুখন ধপ্‌ধপাবলৈ ধৰিলে; চকুৰ আগেদি ফিৰিঙ্গতি উফৰিবলৈ ধৰিলে। গা-মন অস্থিৰ হৈ পৰিল। প্ৰতিজ্ঞা ৰাখিবৰ উদ্দেশ্যে থৰক্-বৰককৈ মৰিশালিটোৰ ওপৰত উঠি খুঁটিটো পুতিলোঁগৈ; কিন্তু মোৰ চুৰিয়াৰ খোৰটো যে খুঁটিৰ তলত পৰি আছিল, মনৰ অস্থিৰতা হেতুকে তালৈ মই তং কৰিবলৈকে নহ'ল। খুঁটি পুতি আঁতৰি আহিবলৈ ধৰোঁ যে, মোৰ চুৰিয়াত ধৰি কিহবাই মোক গাঁতৰ ভিতৰলৈ টানি নিব খোজে। মোৰ চুলিৰ আগেদি ধাতু যোৱা যেন লাগিল। মোৰ গাত তত্ নোহোৱা হ'ল। সেই মুহূৰ্ত্ততে অন্তৰৰ ভূত-বিশ্বাস ডাঠ্ হৈ উঠিল। মই অস্থিৰ হৈ, "ভূতঔ! ভূতে ধৰিলেঔ" বুলি চিয়ঁৰ-বাখৰ লগাবলৈ ধৰিলোঁ। চিয়ঁৰি কাৰো মাত নাপালোঁ! পিচে, ভূতৰ হাতৰপৰা আৰু মোৰ নিস্তাৰ নাই যেন ভাবি, অগত্যা চুৰিয়া-ফুটিয়া এৰি, মই ঘৰলৈ পলাই লৰ ধৰিলোঁ!

ফজল।—(সোণেশ্বৰৰ গাত হাত দি) ডিয়েৰ, গমি চোৱাঁচোন, মনত পৰিছে নে, সেই দিনা মৰনৈৰ কিনাৰত আমাৰ দশাও এনে নহৈছিল নে? মিষ্টাৰ ৰাজখোৱাৰেই যদি এনেটো ভ্ৰম ঘটিল, আমাক নো তেন্তে তেওঁ দূষিব কি বুলি?

সোণ।—(চকুৰ টিপ্ মাৰি) বাজে কথা ফুলিয়াবাচোন মনে মনে থাকাঁ তুমি।

মুক্তি।—সেইটো দোষ ধৰিবলগীয়া কথা নহয়, শোধন কৰিবলগীয়া বিষয় হে। সৰল বিশ্বাসৰ ওপৰত কাম কৰি ঘাটি খালেও তাত মূল্য থাকে, আৰু কৰ্ত্তা জন শলাগৰ পাত্ৰ হয়। মিষ্টাৰ ৰাজখোৱাৰ সম্পৰ্কেও সেয়ে কথা।

ভূত।—দেখিলা বন্ধুসকল! ভূত-বিশ্বাসৰ কু-ফল আমাৰ নিজৰ গাতে কেনেকৈ ফলিয়াইছে। ই আমাৰ বৰ্ত্তমান উচ্চশিক্ষাৰ ভ্ৰান্তি দোষ দেখুৱা নাই, দেখুৱাইছে আমাৰ শিশুশিক্ষাৰ ভ্ৰম-দোষ। সৰুতে আমি নিজৰ পিতৃ-মাতৃ আৰু সমাজৰ বুঢ়া-মেথাৰপৰা ভূতৰ যি বিৱৰণ পাই আহিছিলোঁ, তাৰেই বিবৃতি আমাৰ স্বভাৱত এনে ভাৱে মিলি গৈছে যে, আজি সি আন্তৰিক বৃত্তিৰ দৰে আমাৰ ওপৰত প্ৰভুত্ব চলাইছে। ইয়াতকৈ বেছি সাংঘাতিক সামাজিক দোষ আৰু কি হ'ব পাৰে! কিন্তু, ধুৰুপ বুজিবাইক "Good cometh out of evil" অৰ্থাৎ, আপদে সম্পদ মিলায়। আমাৰ মিষ্টাৰ ৰাজখোৱা এজনৰ পটন্তৰেৰে আমি এশ জনৰ মনৰ ভ্ৰান্তি গুচাবলৈ চল পামইক। বিশেষতঃ, আমাৰ সংস্কাৰ-সমিতিৰ উদ্দেশ্যও সেয়েই। সেই ভ্ৰান্তি গুচাবলৈ আজিৰপৰা আমাৰ সংকল্প দৃঢ়তৰ হ'ল। ৰাজখোৱাদেৱৰ জ্বলন্ত পটন্তৰে ৰাইজক পোহৰাই দেখুৱাব যে, ভূত বুলি একো এটা নাই, সি ভ্ৰম হে। সেই ভ্ৰমে কাছুটি হেৰুৱায়!

মুক্তি।—নিশ্চয় ভ্ৰম; ভূত নহয়, ভ্ৰম মাথোন। মই তাৰ জ্বলন্ত পটন্তৰেৰে সৈতে আজি ৰৰচহকী হলোঁ। এই পটন্তৰ ঘৰে ঘৰে বিলাই ফুৰিম।

ধৰ্ম্ম।—মোৰ অন্তৰৰপৰাও ভূত-বিশ্বাসৰ ভ্ৰম বা কু-প্ৰবৃত্তি আজিৰপৰা সম্পূৰ্ণে আঁতৰ হ'ল। যাতে সেই ভ্ৰম-প্ৰমাদত আৰু নপৰোঁ, তাৰ নিমিত্তে আজিৰপৰা মন ডাঠি ফুৰিম।

সোণ।—মোৰ অন্তৰৰ ভাবো সেয়ে। ভূত বুলি যে একো

এটা নাই, সি যে কেৱল ভ্ৰম হে, তাত আৰু আজিৰপৰা মোৰ সন্দেহ নাইকিয়া হ'ল। মিষ্টাৰ ৰাজখোৱাৰ পটন্তৰ দি, আন-আনৰ অন্তৰৰপৰাও ভূত-ভ্ৰম গুচাবলৈ পাৰ্য্যমানে যত্ন কৰিম।

ফজল।—ইঁচাকৈ কৈছোঁ, মোৰ মনৰপৰাও আজি ভূত-বিশ্বাসৰ ভাৰৰ গোটেই বথলা বৰষি অন্ত পৰিল। মই এতিয়া বতৰ মুকলি পাইছোঁ। আজিৰপৰা আৰু ভূত-বিশ্বাসৰ সন্দেহে মোক টলাব নোৱাৰে। ইঁচাকৈয়ে, মই আজি হে খাটাংকৈ বুজিলোঁ, ভূত নহয় ভ্ৰম হে।

(হঠাৎ এটা বেজ আৰু এটা কানীয়াৰ প্ৰৱেশ)

বেজ।—ডেকাদেউসকল! তোমালোকৰ কথন-মথন আঁৰে-আঁৰে সকলো শুনিলোঁ। তেন্তে, আমাৰ জীৱিকাৰ উপায় নো চিন্তিলাইক কি? ভূত খেদিবলৈ বেজ নেলাগিলেচোন আমি নিগমে মৰিলোঁ!

কানীয়া।—এৰা, ভূত নামানিলে আমি নো তৰিম কেনেকৈ পিচে? ভূত-পূজাৰ লাচতে কানীয়া-ভকতক নুপূজিলে, আমাৰ টিকিৰা পোৱাৰো আধ্যা পৰিব দেখোন?

ভূতনাথ।—আধ্যা পৰিবই লাগিব। সম্প্ৰতে, তোমালোক কানীয়া আৰু বেজবিলাকে নিজৰ কু-অভ্যাস এৰি, ৰাইজক সু-অভ্যাস দেখুৱাবলৈ ধৰাইক। তাৰ পাচত, আমাৰ লগতে অজলা ৰাইজক এই বুজনি দি ফুৰিবাইক যে, সংসাৰত ভূত বুলি একো এটা নাই,—ভূত নহয় ভ্ৰম হে।

কানীয়া।—কি নো বলিয়াৰ দৰে বকিছা, বপা! কানীয়াই নো কানি এৰিব পাৰে নে? ভূতৰ কথা এৰিছোঁ বাৰু, কানি এৰিম কেনেকৈ? কানি নেখালে থিতাতে নমৰিম নে?

মুক্তি।—নমৰা। ভূতৰ ভ্ৰম এৰিব পাৰিলে কানিও এৰিব পাৰিবাইক; সকলো অভ্যাসৰ তল। ভূত নপতিয়াবলৈ শিকোৱাৰ লগতে কানি এৰিবলৈকে শিকাম।

বেজ।—বুজিলোঁ। বাৰু, কানীয়া-ভকতৰ হৈ যি হয় কৰিবাইক, পিচে আমাৰ দশা কি হ'ব?

ধৰ্ম্ম।—তোমালোকৰো সু-দশা মিলিব। তাৰো এটা সজ উপায় কৰা যাব। বেজে কেনেকৈ ব্যাধি চাব লাগে, তাৰো সু-দিহা দিয়া হ'ব।

সোণ।—এটা এটাকৈ হে। পোনেই ভূত-ভ্ৰম গুচোৱা, তাৰ পাচত কানি একৰা, তাৰো পাচত বেজ-বিধি শিকোৱা। ইত্যাদি।

ফজল।—ইঁচা! একেলগে একে সময়তে কেবাটাও কামত ধৰিলে এটাও ছুকলমে হিদ্ধি নহ'ব।

মুক্তি।—আহ্মদ চাহাবে ভাল কৈছা, এবাৰত এটাকৈ হে ধৰা উচিত। তেহে নিয়াৰিকৈ কাৰ্য্য সমাধা কৰিব পৰা যাব।

ভূত।—সেয়ে হ'ব। ইয়াৰ পাচত আমি এটা কাৰ্য্যক্ৰম্ বান্ধি লমহঁক। সেইমতে কাম কৰি গৈ থকা হ'ব। আজিৰপৰা এই কানীয়া-ভকত আৰু বেজ জনো আমাৰ লগৰীয়া হ'ল। ইবিলাকৰ জীৱিকাৰ অৰ্থেও অনতিপলমে এটা সু-ব্যৱস্থা কৰা যাব। সম্প্ৰতে, ভূত-ভ্ৰম নিৰাকৰণ কৰাটোকেই আমাৰ সমিতিৰ মহাব্ৰত মানি শিৰত ললোঁহঁক।— প্ৰতিজ্ঞা পালন, নাইবা শৰীৰ পতন। জয়, সংস্কাৰ-সমিতিৰ জয়!

সকলোৱে।—(সমস্বৰে) জয়, সংস্কাৰ-সমিতিৰ জয়।

য ৱ নি কা পা ত

জুৰণি

প্ৰথম পাতনি

'জুৰণি' ওলাব বুলি কেতিয়াবাই আগ-জাননী দিয়া হৈছিল ; সাংসাৰিক লীলা-চক্ৰত পাক-ঘূৰণি খাই অলপ জিৰাওঁতে হে পলম হ'ল। সেইবাবে ৰাইজৰ ওচৰত ক্ষমা-প্ৰাৰ্থী হলোঁ।

সংসাৰৰ বহাগী জহত চেঁচনি বিচাৰি পিয়া ঢোকা-চাৰেক জুৰ অনুপানৰ অকণি অকণি বিৰিঙনি মাথোন 'জুৰণি'ৰ পাতত ওলমি ৰৈছে। ৰাইজৰ কৰুণ ব্যৱহাৰত আহিলে, সি তাতে অক্ষয়ৰূপে ৰব বুলি আশা কৰা যায়। ইতি—

তেজপুৰ, অসম
২০ ভাদ, ১৮২২ শক

নিবেদক
শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

দ্বিতীয় পাতনি

প্ৰথম তাঙৰণৰ 'জুৰণি' গ্ৰাহকে তৃপ্তিৰে সৈতে পান কৰি কেতিয়াবাই ওৰ পেলালে। আজৰিৰ অভাৱত তাৰ দ্বিতীয় তাঙৰণ ভালেমান দিনলৈকে উলিয়াব পৰা নহৈছিল। পিছে, এতিয়া কলিকতা বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ কৃপাত, 'জুৰণি' বি-এ মহলাৰ পাঠ্য নিৰ্দ্ধাৰিত হোৱাৰ আলমত, অনতিপলমে ইয়াৰ নতুন তাঙৰণ উলিয়াবলৈ খৰধৰ কৰা হৈছে। এইবাৰ আৰু টোপা-চাৰেক আৰক সঁফুৰাত ভৰাই দি, তাত মৌৰ মাত্ৰা চৰাই দিয়া গৈছে। ইয়াৰ পাচৰ বাৰত আকৌ আৰু টোপাচাৰেক চৰাই দিয়া যাব।

'পদ্মকুটীৰ', তেজপুৰ, অসম
১৬ ভাদ, ১৮৬০ শক

ৰচোঁতা

উছৰ্গা

মোৰ

অৰ্দ্ধাঙ্গিনীৰ প্ৰথম অৰ্দ্ধেকৰ অকাল-বিয়োগত, বিধাতাৰ

বিধান অনুসৰি, যি দ্বিতীয় অৰ্দ্ধেকৰ মধুমিলনে

জুৰণি-অনুপান-দানেৰে সন্তাপৰ উতলা

তাপ মাৰ নিয়াইছিল,

আৰু

যি মোৰ মৌ-চাক যেন ভৰপূৰ সংসাৰৰ প্ৰসূতি হৈ

শান্তিলতাপাতেৰে মোক আৱৰি ৰাখিছে,

সেই

প্ৰিয়তমা দ্বিতীয়া ভাৰ্য্যা

শ্ৰীমতী হীৰাৱতী দেৱীৰ

শীতলা বুকুত সন্তৰ্পণে

'জুৰণি'

সাঁচি থোৱা হ'ল

ৰচোঁতা

জুৰণি

কবিতা

সহস্ৰ চকুৰে দেখা কত কি যে গুণি,
ফুটাব নোৱাৰি ভাব, টোকে চকু-পানী
কত কাল নীলাকাশে।—আগ্নেয় কুসুম
স্বকয বুকুত লই, জ্বলে চতুৰ্গুণ।
অৰ্থভৰা হাঁহি মাৰি ফুল-কুঁৱৰীয়ে
চিপিয়াই কবলই পুষ্প এৰি দিয়ে।
ৰূপহী জোনায়ে দেহি, কত প্ৰেম ভাব,
সঙ্কেতে বুজাই ভাহে,—কথাৰ অভাৱ।
সন্ধিয়াৰ ৰঙা বেলি আপুনি তপত,
বিচ্ছেদ পোৰণি ভাপ নহয বেকত।
কুল্ কুল্ নই বয় কত কি বিনাই,
সুবুজি নোসোধে কেৱে কি তাৰ বিলায়।

নসহি কবিতা-ৰাণী, জড় জগতত
দিলেহি বুজনি সুৰ অবাক্ত ভাবত।

কবি

চোৰা সখি, আহে কবি নীৰলে নীৰৱে,
বননিৰ মাজবাটে নিমগন ভাৱে।
নিজম বীণাৰ সুৰ—নিজৰে জুৰণি—
আপুনি ব্যাকুল শুনি। তাৰে প্ৰতিধ্বনি
বাজিছে নীৰৱে ৰই, প্ৰতি ফুল কাণে,
উলাহ সঙ্গীত সুৰ ঢালি প্ৰতি প্ৰাণে।
প্ৰণয়ী আমাৰ কবি আহে আগুৱাই,
আটাইটি মজোঁ ফুল, আগমনী চাই।
আৰু সৌ বুঢ়া গছ, জটাধাৰী বৰ,
সিৰলি-পতীয়া কায়া শাল, এজাৰৰ,
আহঁত উদাস যোগী, নাহৰ কদম,
সবাৰো গুচিব হাঁয়, দুখভৰা ভ্ৰম,—
সবাৰে পাণ্ডিছোঁ আমি, মনমোহা ছবি,
ভাঙি কম মনোভাব, আহে সৌৱা কবি।

মন

বিশাল কৰ্ম্মৰ থলি, বিভাগ অশেষ,
অনন্ত আতমা গাত দেহা মহাদেশ।
প্ৰজা সৱ ইন্দ্ৰিয়াদি প্ৰতি ভাগে ভাগে,
আপোন বাৱসা ধৰি, কৰ্ম্ম ফল মাগে।
কাম, ক্ৰোধ, লোভ, মোহ, মাৎসৰ্য্য, মদ,
অসীম ক্ষমতাশালী ছয় পাৰিষদ;
মহা মন্ত্ৰে দীক্ষা লই ৰাজ্য শাসনত,
ভাগে ভাগে দিয়ে বল, নিজ অভিমত।
সবাৰো উপৰি ৰজা স্বেচ্ছাচাৰী মন,
অখণ্ড প্ৰতাপে শাসে দেহা কাম্যবন।
পাৰিষদ প্ৰেৰণাত, কেতিয়াবা নিজে,
মনোমত কাৰ্য্য কৰি সংসাৰত মজে।

দেহেশ্বৰ মানৱাত্মা--ৰাজ-ৰাজেশ্বৰ,
মনকো দমকি শাসে দেহা নিৰন্তৰ।

কল্পনা

মনৰ অধীন প্ৰজা চকু বাহিৰত,
সীমাবদ্ধা শক্তি তাৰ, আতি যথাৱত।
বাহ্যিক জগত জুৰি সৌন্দৰ্য্য যি ফেৰি,
পূজেহি প্ৰভুৰ পাৱ তাকে আগ কৰি।
আৰু দুটি দিব্য চকু, গাতে লাগি থকা,
পচাৰতে ত্ৰিভুবন একচিত্ৰে আঁকা;
আজন্মে মনক সেৱি পায় প্ৰতিদান,
বিষাদত শান্তি লাভ সাগৰ সমান;
দুৰাশাত পিয়ে পানী ভেদি মৰীচিকা,
অভাৱত সম্ভোগৰ পূৰ্ণ প্ৰহেলিকা।

অন্তৰ বাহিৰ আৰু নভবা ভাগৰ,
নিতে ন ন পূজা দিয়ে দীপ্তি সৌন্দৰ্য্যৰ!

কল্পনা সি যুৰি চকু, বিশ্বৰাজ্য ঘূৰে,
সৃষ্টি মাজে দেহেশ্বৰে তাকে পিন্ধি ফুৰে।

প্ৰকৃতি

শান্তিৰ মলয়া বলি প্ৰাণ জুৰ কৰে,
শীতল বৰণে তাৰ জগত সামৰে;
অশান্তি ৰ'দৰ তাপ লাগিলে হিয়াত,
চাটিফুটি মন-প্ৰাণ, নাই তত্ গাত;
মানৱ হিয়াত এনে প্ৰতিবিম্ব কাৰ,
নাচে কোন্ দাপোনত মহিমা অপাৰ?
দেখি ৰূপ আপোনাৰ মজে মুগ্ধ নৰ,
নকৰে অকণি মন ৰূপ দাপোনৰ!
ভাবুক কবিয়ে চকু ঘনে পিৰিকাই,
ছয়াঁটিৰ আদি ৰূপ দিয়ে উদিয়াই;—
অনুকৃতি ভিন্ ৰূপে নৰ-প্ৰকৃতিৰ,
আদি আৰ্হি সতে মিলে বাজত সৃষ্টিৰ।

ক্ষণে জুৰ, ক্ষণে ঘোৰ, ক্ষন্তেকে প্ৰলয়,
নোপোৱা বিমুগ্ধ নৰে প্ৰকৃতি আশই।

ৰূপ

ৰঙা, মুগা, সেউজীয়া,—ফুল, গছ, পাত;
বগা, ক'লা, গোৰা, শাঁও,— জীৱ অসংখ্যাত;
আৰু কত ভিন্ ৰূপ প্ৰতি জীৱটিৰ,
ভিন্ ভিন্ অনুকৃতি আত্ম-প্ৰকৃতিৰ,
মানৱ চকুত পৰে তিল তিল কৰি,
তথাপি বলিয়া নৰ জেউতি বিচাৰি!
বাহ্যিক চকুৰে দেখা ওপৰে ওপৰে,
ক্ষন্তেকীয়া শোভা তাৰ চাওঁতেই হৰে!
প্ৰকৃত সৌন্দৰ্য্য-ধাৰ তলে তলে বয়,
ভাবুক চকুত বেথ ঠৰে ঠৰে ৰয়;—
বিচিত্ৰ ওৰণি ভেদি প্ৰকৃতিৰ মায়া,
বিৰিঙ্গি ওপঙ্গি ফুৰে সৌন্দৰ্য্যৰ ছাঁয়া।

চকু-ৰোৱা মন-মোহা তত্বগ্ৰাহী শোভা,
কবিৰ হিয়াত মাথো জ্বলে পুণ্য প্ৰভা।

বাঁহী

যি বাঁহী সুৰত পমা গোকুলৰ ৰাণী,
বংশীধাৰী পিচ-ধৰা যোল শ গোপিনী;
যি সুৰে হৃদয় পশি মুগ্ধ সংসাৰীৰ,
বৈৰাগী ভাবত কৰে উদাস অস্থিৰ;
তাপিত বিৰহী প্ৰাণ যি সুৰে উদ্ধাৰি,
কল্পনা ৰথত তুলি সাজে বংশীধাৰী;
খৰতৰ ধাৰে বোৱা প্ৰেমনদী হাঁয়,
যি সুৰে বলিয়া কৰি উভতি বোৱায়;
গভীৰ তপস্যা মগ্ন যোগীবৰ ধ্যান,
শূন্যত লুকায় শুনি যি বাঁহীৰ তান,
নৰঘাতী ৰাক্ষসিনী নিদয়া পাষাণী,
উদ্দেশ্য পাহৰে শুনি যি বাঁহী ৰাগিণী;—

কোনে কয় অচেতন, পৰ-মুখ বায়ু,
আজীৱন জীয়া বাঁহী, সৃষ্টি পৰমায়ু।

গীত

সংসাৰৰ ভগা-ছিগা কৰ্কৰীয়া কথা,
নীৰস, গুটীয়া, নোহে ইটে সিটে গঁথা।
হিয়া-ছেপা প্ৰেমৰস, সুৰগা সমান,—
তাল, মান, সুৰ, লয়, ৰাগিণী মহান্,
পঞ্চামৃতে সানি তাক কৰে সুললিত,
হলিগলি ভাবে আঁটি ইটিক সিটিত।
আথইফুটীয়া কথা আবেগত পমি,
নিছিগা ধাৰেৰে বয় পঞ্চম ৰাগিণী;
হৃদয় নিজৰা ফুটি বই অহা জুৰি,
বাজত কোবাল নই ক্ষুদ্ৰ গুৰি এৰি।
নিৰগুণ নিৰাকাৰ পূৰ্ণব্ৰহ্ম নাম,
ভকতি সোঁতত ভাহে এৰি পুণ্য ধাম।

মানৱৰ কণ্ঠ এৰি আহে স্বৰ্গ চুমি,
দেৱতা বিহাৰ থলি গীত মৰ্ত্ত্য-ভূমি।

ক্ষাপ

সৰি পৰা হাঁহপাখি বিলৰ দাঁতিত,
আছিল নিষ্কৰ্মা পৰি বননি পাটীত ;
নাছিল চেতনা তাৰ, জাঁপযোৰা মুখ,
পিপাসাত দগ্ধ প্ৰাণ কৰে ঢুক্ ঢুক্।
গুণগ্ৰাহী নৰে তাৰ বুজি অন্তৰ্গুণ,
সযতনে আনি তাত দিলে ভাৱগুণ।
জাঁপযোৰা মুখ ছিৰি দিলে জীপ্-পানী,
ভাৱৰ নিশ্বাস টানি হ'ল জীয়া প্ৰাণী।
উপকাৰী গুণ লই কৃতজ্ঞ অন্তৰে,
পান কৰি কালকূট অমৃত উগাৰে ;
যাৰ হাতে পালে প্ৰাণ তাৰে বংশধৰ,
নিজে মৰি কৰে তাক মৰিও-অমৰ।
ময়াপী ভাৱৰ ধৰি উৰণীয়া পাখি,
জলন্ত কীৰিতি আঁকে অমৰত্ব মাখি।

মহী

নিফুট হিয়াৰ ভাব, বৰণ বিহীন,
শূন্যত মিলেহি আহি, মাৰ যায় চিন্ ;
ক্ষন্তেকীয়া প্ৰাণ-বায়ু বাজলই আহি,
অনন্ত বায়ুত মিলি যায় কেনি ভাহি ;
অগণন লীলা-খেলা,—সম্পদ, অপায়,
ক্ষুদ্ৰ ক্ষুদ্ৰ পানী-ফোঁট, উঠে আৰু নাই ;
ছুদিনীয়া সংসাৰৰ সম্ভোগ, বিলাস,
মৃত্যুৰ পাচত চিন্ সমূলি বিনাশ ;
ভাৱৰ চিনাকি হেতু আঁচে-ধৰা কথা,
জীৱনৰ কীৰ্ত্তিচিন, প্ৰাণ সতে গঁথা,
সংসাৰৰ মহামেলা, মৰত প্ৰবাস,
সম্পদ, অপায়, আৰু সম্ভোগ, বিলাস ;

সবাৰো অক্ষয় চিন্ আঁকিবৰ গুণে,
মহী সৃষ্টি মৰতত স্বৰগ ৰহণে।

প্ৰথম

শিশুৰ প্ৰথম বুলি, আধাফুটা ভাব—
শুনি গুচে জননীৰ সন্তাপ অভাৱ ;
নেদেখা মিলন পাচে পোনে দেখা-দেখি ;
আধাকোৱা ছুটি কথা আবেগত লেখি ;
বছৰৰ পোন্-দিনা কালপাতনিত ;
প্ৰথম নতুন ভাব ঋতু সন্মনিত ;
বতৰৰ পকা ফল পোন্-প্ৰথমত ;
পোনতে প্ৰণাম শিকা গুৰু চৰণত ;
প্ৰথম পৰ্ব্বত দেখা, নদী উত্পতি,
নিজৰা-নিস্যত জুৰি, বেঁকা-বেঁকি গতি,
জিৰণিৰ গছতল, প্ৰথম প্ৰবাস,
প্ৰথম স্বাধীন ভাৱে পুণ্য গৃহবাস ;
সবাৰে পাতনিত সনা এটি সুখ,
ভুক্তোমানে বাঢ়ে স্পৃহা, নভৰেহে মুখ !

আদি-অন্ত

ওলাওঁতে ৰঙা বেলি, পৰোঁতে ৰাঙলি ;
ওপজোঁতে জোন-বিৰি, মৰোঁতে এবেলি ;
আহোঁতে সাদৰী মাত, বিদায়ত সেই,
একে বান্ধে আলিঙ্গন অহা-যোৱা যেই ;
জোৰোঁতে আগ্ৰহ যেনে, ব্যগ্ৰ সামৰোঁতে,
নেদেখা, নোপোৱা সুখ বিৰিঙ্গে ছুয়োতে ;
আগলি বতৰ ফল ধৰে হেঁপাহেৰে,
শেহনি যি কিটি হাঁয়, ৰাখে যতনেৰে ;
সন্ধিয়াৰ আদি-তৰা, প্ৰণাম জাননী,
পুৱাৰ আদিকা এটি বিদায় মাগনি ;
প্ৰথম সম্বন্ধ বান্ধ, সুৱগা মিহলি,
অন্তিম সংসাৰ মায়া, নেৰোৱা কুঁৱলি ;

ধানৰ আদিতে ধান, ফলে পুনু ধান ;
আদি-অন্ত, জন্ম-মৃত্যু উভয়ে সমান।

আদহীয়া

যৌৱনত পূৰ্ণ হিয়া, পূৰ্ণ আবেগত,
ফুলি উঠি দক্মক্ ; পূৰ্ণ উলাহত
পাতিছিল ফুলবাৰী, ফুলিছিল ফুল,
সুগন্ধত মলমল্, প্ৰাণ বিয়াকুল।

বসন্তৰ মৃদু বাত ভাব উৰুৱাই,
ফুলৰেণু সতে হাঁয়, জগত বুৰাই,
মেলিছিল চউপাশে মত্ত আনন্দৰ,
আপোন পাহৰা ভাতি ভৰ দুপৰৰ।
নাই আৰু পূৰ্ণভাব, টুটিল আবেগ,
ফুলনিৰ সেই ক্ষণ, প্ৰাণ-কৰ্ই ছেগ ;
আনন্দৰ পাৰে উঠি বুকুত ফুৰণি,
সুঁৱৰি পূৰ্ব্বৰ ৰাগী পাইছোঁ জিৰণি।

আবেলিৰ চেঁচনিত বহিছোঁ এতিয়া,
যৌৱনৰ হিয়া টুটি হলোঁ আদহীয়া।

ব্ৰহ্মপুত্ৰ

মানসৰ গৰ্ভ এৰি ব্ৰহ্মকুণ্ড ঘূৰি
কটালোঁ কতনা যুগ পাথেয় বিচাৰি।
সাগৰ উদ্দেশি পাচে কৰিলোঁ প্ৰয়াণ,
কত কাল ঘূৰি-পকি বিলয়-মিলন।
কত যুগ একে দৰে লই পূজাভাগ,
শোধাইছোঁ বই-পৰা পুণ্য ব্ৰহ্মযাগ।
কতনা সৃষ্টিৰ কথা, উঠন পতন,
কতনা বুৰঞ্জী যুগ বুকুত মগন।
আজিকে পুৰণি তুমি বৃদ্ধ যোগীবৰ,
তথাপি ল'ৰাটি সদা, 'পুত্ৰ' নামধৰ।
কতবাৰ যৌৱনৰ ভুগিছোঁ বিনাস,
বছৰে বছৰে ঘূৰি বাৰিষা উলাহ।

যি বলে ধৰিছোঁ ৰাখি অমৰ যৌৱন,
নিছিগা ভক্তিৰ সোঁত জলন্ত প্ৰমাণ।

মেঘাই

ই চুবুৰি উঠি গই সি চুবুৰিলই
পাতে এক বৰগাঁও সুকণ্ডা নথই।
নিমিষে বিয়পি নাই,—নিৰ্ম্মল আকাশ—
কাষৰত সাজে গই দিব্য পানীগছ।
ৰ'দৰ তাপত পুহু কায়া কোমলাই,
শিমলুৰ তুলা উৰে আকাশ বনাই।
সন্ধিয়া বেলিকা সানি সেন্দুৰী ৰহণ,
চালি-ধৰা ম'ৰা হই হৰে প্ৰাণ-মন।
প্ৰেম-ৰস পৰিপূৰ্ণ পাতিলে বাদল,
ভাবত বিভোল হই বিৰহী পাগল।
কৰুণ ৰসত পমা নিঃস্বাৰ্থ প্ৰেমিক,
পৰৰ ব্যথাত ব্যথা পায় অতিৰিক।

অযাচিতে উৰি যায়, বিচাৰি বেগাই
সিপাৰৰ বিৰহীক, কটকী মেঘাই।

পুৰণি অসম

অসম বিক্ৰম হেতু আহোম ৰজাৰ,
'অসম' সি জাতি নাম জগতে প্ৰচাৰ।
ৰজাৰ খিতাপ পিন্ধি ৰাজা বিভূষিত,
ৰাজ নামে ৰাজ্য নাম প্ৰথা প্ৰচলিত।
স্বাধীন নিচান তাৰ উৰিছিল শিৰে,
অখণ্ড প্ৰতাপ চিন্ চাৰিটি দুৱাৰে।
বিষয়াৰ বংশধৰে ৰাজ-প্ৰাসাদৰ,
উপাধি পাগুৰি মাৰে বংশ-গৌৰৱৰ।
আজিও বাঢ়িছে তাৰ আদৰ অভাৱ,
নাই ৰজা, গুচা নাই উপাধি প্ৰভাৱ।
বিতোপন বাট, ঘাট, দেউল, মন্দিৰে,
অক্ষয় কীৰিতি চিন্ জগতে প্ৰচাৰে।

থাকোঁতে সৌভাগ্য ভাগ নেভাবিলে হায়,
সুঁৱৰি এতিয়া কান্দে অসমীয়া ভাই!

দীঘলীয়া খাল বাট গাঁৱৰ মাজত,
বাৰিষা উপচি বয় নই যথাৱত।
চোতালৰ পানী বই পানীপাচ-ধাৰে,
খাল-নই ভৰে গই ফেনে-ফোটোকাৰে।
উলাহত বাল্যভাৱে হিয়াক চৌৱাই,
তিৰবিৰ কৰি বয় প্ৰত্যেক সিৰায়।
পানীৰ সোঁতক চাই ভাব-সোঁত মোৰ
মন-প্ৰাণ উচটাই ললে পাক ঘোৰ।

থটুৰাৰ ভুৰ বান্ধি যাওঁ ভটীয়াই,
নাও বুৰি বং পাওঁ, পানী বঁতিয়াই।
সংসাৰৰ ভৰানাৰে ভৰি দিয়া পাচে,
এতিয়া দেখিছোঁ তাৰ সোঁৱৰণী আছে।

পাকত পৰিলে নাও কৰোঁ কাওবাও,
হুমুনিয়া কাটি স্মৰোঁ সেই ভুৰ-নাও।

"পালোঁ"

জয়ে জয়ে ফৰমুটি, চিঠি-সামৰণি,
সন্নিধান আশা কৰি আছোঁ ক্ষণ গণি।
এদিন দুদিন হ'ল ক্রমে তিন দিন,
সন্নিধান, ফৰমুটি, নাই একো চিন্।
বাজিল বিষম প্ৰাণে আশঙ্কাৰ শেল,
বাটলই চকু থিৰ, ধৰি দেহা ভেল।
ভাবিলোঁ সিটিৰ হাঁয়, নিকৰুণ চিত,
সুবুজি কৰিলে জানো হিতে বিপৰীত।
থাকোঁতে ইদৰে হাঁয, দোৱা ভজা হই,
জীয়া ভাবে আঁকি "পালোঁ" পঠালে বান্ধই
প্ৰথমে ফুলাই 'প'ৰে এপাহি পদুম,
'া' কাৰে আকুল কৰা দিলে তাত গুণ,
'ে-া' কাৰে সাবটি ধৰি 'ল'ৰে কৰি লয়,
মিলনৰ (৺) দিলে ফোঁট, প্ৰেম ভাষাময়।

ৰামায়ণ

ৰাম নউ ওপজোঁতে ৰামৰ কাহিনী,
বাল্মীকি-নিজৰা ফুটি বলে পুণ্য নদী।
আদি ভাগে ৰঘুকুল, মাজে জনকৰ
ৰাজৰ্ষি তপস্যা ফলে তৰে বংশধৰ,
শেহ ভাগে ৰাৱণৰ পূৰ্ব্বকৰ্ম্ম ফলে,
সবংশে উচন কৰি গতি উদ্ধাৰিলে।
সামৰণি সমুখত হই তিনি ধাৰা,—
ভাৰ্য্যা, পুত্ৰ, ভ্ৰাতৃপ্ৰেম,—সংসাৰৰ মায়া
তিনটি নিছিগা ধাৰে বই তিনি নই,
চৌৱালে মোহৰ ভেলা পিচ যুগলই।

সাগৰ-সঙ্গম বেলা বালিভেটা ভেদি,
আপোন হেৰাই মজে ভোল মহানদী।

বইছে, ব'ব৭ কত যুগ-যুগান্তৰ,
আকৰ্ষণী সোঁতে টানি প্ৰাণ জগতৰ।

গুণাভিৰাম

গুণৰ মুৰলীধাৰী গুণ-অভিৰাম,
এৰাবাৰী অসমত গাই জাতি নাম,
নিস্তেজ, নিৰ্গুণী, নিৰ্জ্জু অসমীয়া চাই,
আগুৱালা দুটি খোজ বাট দেখুৱাই।
তিতালাৰে ছাটি ধৰা এৰা-ঘৰ-ভেঁটি,
চিকুণাই উলিয়ালা পুৰণি কীৰিতি।
বুৰঞ্জীত আঁক পাৰি গণি পূৰ্ব্ব কাম,
দুমাব লগীয়া কত উদ্ধাৰিলা নাম,
'অসম-বন্ধু' চাকিটি ধৰি এটি হাতে,
দেশী ভাই হাত ধৰি উন্নতিৰ বাটে,
ধৰিলা গহীন খোজ কৰি আলোচনা,
চকু-গজা হ'ল ডেকা গুচি দিন-কণা।

গুণৰ নোলোৱা গুণ অগুণকাৰী জাতি,
স্মৃতিতো এতিয়া নানে তব গুণ-ভাতি।

অসম আৰু বঙাল দেশ

কোন্ সৰু কোন্ বৰ, দুই বাই-ভনী,
অসম বঙাল দুয়ো যুঁজে কাল গণি।
অসম যুক্তিৰ বলে বয়সত বৰ,
উঠন যেতিয়া তেওঁ, অস্থি বঙালৰ,
সাগৰৰ তলি এৰি পোনে জন্ম নিয়ে,—
'নৱদ্বীপ' 'মালদহ' নামে সাক্ষী দিয়ে।
অসম যেতিয়া মহা কাব্য ৰচনাত,
বঙাল ফুটাই কথা কব নজনাত।
অসম জুকলা যেবে ভাটী বয়সত,
পূৰ্ণ তেজে বঙ্গে আহি কয় অসমত,—
অস্তিত্ব তোমাৰ নাই, মোৰে মূল-ফুটা,
ধৰাহি জীৱন মোতে পৰজীৱী লতা।

বুৰঞ্জী বুকুত ধৰা হিমাদ্রি, সাগৰে,
সুমৰি পুৰণি সত্য হুমুনিয়া এৰে।

উৰ্ম্মিলা

নিৰমল নাম-গোন্ধে প্ৰাণ কোমলাই,
ফুলনিৰ এচুকত মুখ আমোলাই,
ফুলি ফুলি এটি পাহি কাব্য কাননত,
হৰিছিল কবি-প্ৰাণ থাকি নিজানত।
সৰ্ব্বগুণে বিভূষিতা অতুলনা সীতা,
আৰু দুটি ৰূপৱতী জনক-দুহিতা,
কৌশল্যা, কৈকেয়ী, সৰু সুমিত্ৰা সুন্দৰী,
সৌভাগ্য কিৰীটি পিন্ধা তিনি পটেশ্বৰী,
সাৱিত্ৰী, দ্ৰৌপদী, দময়ন্তী, জয়মতী,
ৰম্ভা, মন্দোদৰী, তাৰা, সতী, লীলাৱতী
সৰমা, ৰুক্মিণী, উষা, কত নাৰী ফুল,
প্ৰকাশ্যে ফুলাই নৰ কৰিলে আকুল।

সুচতুৰ স্বৰ্গীকবি, স্বৰ্গৰ কাৰণে,
উৰ্ম্মিলা পাহিটি থলে অৰ্দ্ধেক গোপনে।

ঈৰ্ষা

তলে তলে কলিটিযে উলাহত নাচে,
টিপে-টাপে পাহিটিত আক্ষেপ প্ৰকাশে,
"চোৰাঁচোঁ বাইটি হেৰা, কি ভাগ্য তোমাৰ,
সুগন্ধি জেউতি মেলি আনন্দ অপাৰ।"
ফুলে কয়,—"বেলি নাই, ফুলিবা কালত,
ৰূপ, গোন্ধ যাব জহি, নহবা বিতত।"

বিপদৰ কাৰণ

মনে মনে পাঙিছিল, ৰব সাৱধানে,
কোন্ পাকে আহে চাব বিপদ গোপনে।
সমুখত জোকালেহি, দিলে উফৰাই।
পিচত আলচা দেখি, নিলে হোঁহকাই।
ই হাতে সি হাতে থকা, নিলগতে ৰ'ল।
'ভয় নাই' ভাব এটি,—সেয়ে কাল হল।

বেজাৰৰ বোজা

পুত্ৰৰ বিয়োগ শোক কি যে অকথন,
পিতৃ-মাতৃৰ মানত আতি অসহন।
পোহনীয়া পখী এটি গ'ল উৰি কেনি,
ব'ৰাগী প্ৰাণত দুখ আতি অসহনী।
বুটীটিৰ কঁঠা সীয়া হেৰাল বেজীটি,
বেজাৰত ঠাই নাই, অসহনী অতি।

চকু-লো

মনেবোৱা দুখপাচি হিয়াত মেলাই,
ভাবনাৰ পিহনাৰে পিহি বিয়পাই,
সোঁৱৰণী পানীচলু চিপে চিপে ঢালি,
চকুৰ কোণক পাতি কৰমৰ থালি,
দীৰ্ঘ হুমুনিয়া ঢউ তুলি হৃদয়ৰ,
দুধাৰি চকু-লো বয়,—মুকলি অন্তৰ।

বুজনি

সৰল সহানুভূতি বন্ধু বিলাপত,
বুজাওঁ কতনা মেলি হিয়া ভাগৰত,
কত যুক্তি বুজনিৰ, আহি পটন্তৰ,
মেলি ভাবোঁ, কৰোঁ চেঁচা তাপিত অন্তৰ।
নিজক যেতিয়া হাঁয়, আপদে মেৰায়,
নেমানি বুজনি ভেটা, চকু-লো বেগায়।

দূৰণি

দূৰণিত জোনবাই শুৱনী গাভৰু,
কৌশলে চপাই ধৰে,— লঠামুৰা লাৰু।
দূৰৈৰ পৰ্ব্বত দেখোঁ, নিমজ শীতল,
ওচৰত,—জোপা, গছ, খলা-বমা থল।
আৰু যত দূৰণিত সৌন্দৰ্য্যৰ ভাতি,
হাতত পৰিলে আহি গাত-লগা মাটি!

পৰ

কোন্ নো বুকৰ বাৰু, কোন্ বা নিলগ?
—আটাইতে দেখোঁচোন ছুতলীয়া-ঠগ!

পুৱাৰ কোমল বেলি বুকুৰ বান্ধই
দুপৰত ঘোৰ মূৰ্ত্তি, কাল-শত্রু হই!
সন্ধিয়া মিচিকি মাৰি দুখ পাহৰায়;
নিমিষে আনন্দ হৰে আন্ধাৰ ঘটাই!

মৰণ-ভ্ৰান্তি

পুৱাত উষাৰ সন্ধিয়া দিনৰ হাঁহি;
এবেঁাতে ব্ৰজক শ্যামৰ মোহিনী বাঁহী;
সুমাবৰ আগলিত চাকিৰ কঁপনি;
এবেঁাতে জীৱনে দেহা চকু-পিৰিকনি;
বিদায়ৰ পিচলই বেঁকা-চাহনিটি,—
জেউতিৰ জালি কাটি আছে ফুটি ফুটি!

পাচত

ছয়ঁা চাই ৰং পোৱা মধু বয়সত,
পাগুঁচিলোঁ, বৰ হলে, নানো অভ্যাসত।
এতিয়া দেখিছোঁ দেখোঁ, তাতেই হে ধৰোঁ,
দেহা গ'ল, আছে ছঁয়া, স্মৃতি পূজা কৰোঁ।

নেদেখাত

দেখি থকা চিনা ৰূপ আছিল আগতে
লগা নাই এনে দৰে, মন প্ৰাণ সতে!
ৰিণিকি ৰিণিকি দেখা দূৰণিত আগে,--
আহে আন, সিটি ৰূপ দেখোঁ দেখোঁ লাগে।

বুজন কালত

জোনৰ তুলসী-ছাঁত মৃগ-পহু-চৰা,
চাইছিলোঁ হেঁপাহেৰে মন-প্ৰাণ-হৰা,
এতিয়া কলিৰ দেখোঁ দিব্য চকুযোৰে,
আন্ধাৰ গাঁতত নি একো নাই কৰে।

আশ্বাস আৰু বিশ্বাস

বিচাৰি নেপাই পাচে, মঙ্গলতী মুখে
'ওচৰতে আছে' শুনি বহিলোঁহি সুখে।
আশ্বাসত সনা মউ হল বিষময়,
নিঠুৰ সত্যৰ মুখে আশাহত হই।

মিঠা আৰু তিতা

মিঠাই শঁহাৰি কয়, "তিতা হেৰ তিতা,
অৰুচি, ঘৃণিত, ত্যজ্য, তোৰে সতে মিতা!"
প্ৰত্যুত্তৰ তিতা'কায়ে দিলে গহীনাই—
"মোকে স্মৰি মাথোঁ তোক চিনে মোৰ ভাই!"

ক্ষণে বন মাতে

তাহানিয়ে ডাৱৰীয়া ভৰদুপৰত,
বাজিছিল এটি বাঁহী উদাস সুৰত,—
বাঁহী নাই, আছে আজি বতৰ সমান,
বাজে একে সুৰ, মাতে সিক্ষণৰ কাম।

নিৰাশ

বাজ-মনে কয়, আৰু নলওঁ বাতৰি,
অৱশ শৰীৰ মন বৃথা চেষ্টা কৰি!
ভিতৰি মনৰ মনে গুণে গুৰ্ গুৰ্,
দুনাই বিচাৰি জানো পাওঁ কিবা ওৰ?

কেঁচা আৰু পকা

অকালত শৰীৰৰ ভগন পতন
দেখি, নিন্দে নিয়তিৰ নিয়ম বন্ধন।
পকি জহি হাৰ-ছাল, পূৰ্ণ হলে কাল,
এৰিব নোৱাৰি দেহা নিদায কপাল!

ডাওৰীয়া

ডাঙৰ দীঘল দেখোঁ তাল-তামোলত
আপোন শোভাৰ হেতু দুটিমান পাত,
ছঁয়া নাই জিৰণিৰ,—বাজে প্ৰাণে ব্যথা,—
আশা কৰা ফল পোৱা নিলগৰ কথা।

আশাৰ নিবৃত্তি

'পাম নে নেপাম' ভাবে ঘূৰি-পাকি চায়,
আশাৰ চাকিটি যেন ঘনে খিমিকায়;

সঁচাকে' যেতিয়া সিটি উলটি আহিল,
পূৰ্ণ তেজে জ্বলি চাকি দুমায়ে থাকিল!

পদুম আৰু গোলাপ

পদুম গোলাপ দুয়ো লগালে বিবাদ,
কোন্ ৰাণী, কোন্ দাসী?—বিষম প্ৰমাদ!
ভাবুক কবিয়ে ভাবি খণ্ডালে অপায়,
হিয়াত দেখাই ধৰি দুহাত জঁপাই।

সুগন্ধি সৌৰভ আৰু সৌন্দৰ্য্য সমল,
আঁচলেৰে ঢাকি ভোল কলি উতপল।
ফুলি পৰা ফুল পাহি,—গুপ্ত গুণ মেলি,—
বসন পেলাই হয় লাজে খেলি-মেলি।

অসহ্য বেদনা

আটাইকে সহা যায়, মূৰ কামোৰণি,
পানী-লগা-জ্বৰ আদি আতি অসহনী।
আহিলে কঁপনি জ্বৰ, বাত, শূল, আন,
একে দৰে অসহনী, একে ভাৰে টান।

সাধুৰ পৰীক্ষা

কমাওঁতে সোণ-বালি কত ছলা-জৰা,
কত ভাপে উতলনি কত তাপে পোৰা,
আৰু কত গঢ়া-পিটা, নাৰীৰ সমল,
যতেকে লাঞ্ছিত সোণ ততেকে উজ্জ্বল।

নিলাজী

চোওঁতেই যায় মুদ্ জালিকটা পাত,
লাজতেই পৰে জঁয় গাত দিলে হাত;
আদৰ্শ লাজুকী পোনা নাৰী-গুণে আৰু,
তথাপি 'নিলাজী' নাম কোনে দিলে বাৰু!

মহতৰ বিভ্ৰম

'চন্দ্ৰতো কলঙ্ক আছে, আমি কোন্ ছাৰ।'
বুলি ঢাকি পাতলায় পাপ আপোনাৰ।

চন্দ্ৰই একেটি দোষ জগতে দেখাই
দুনাই নকৰা চিন্ নীৰৱে বুজায়।

প্ৰকৃত দুখ

দৰিদ্ৰৰ খেদ আতি, নাই অৰ্থ-বল,
ধনীৰ ৰাখোঁতে ধন অশান্তি কেৱল।
পশুক খোৰাত বাজে নেলাগে, নেভাবে;
সভাতাই কেতিয়াবা চায় ঈৰ্ষাভাৱে!

সৰু আৰু বৰ

জোনে কয় হাঁহি মাৰি, "ক্ষুদ্ৰ তই তৰা,
দেখ্চোন, কেনে মই উজ্জ্বলিছোঁ ধৰা।"
তৰাই সম্ভাষে,— "আমি আতিকই সৰু,
আপোন দীপ্তিৰে নিতে সৃষ্টি শোভা কৰোঁ।"

নিৰ্জ্জীৱৰ জীৱ

সময়ে সমান ভাৱে আহে আৰু যায়,
অগণন কৰে কাম, গা নেদেখায়।
ঘড়ীৰ একেটা কাম, সময় দেখায়,
টক্ টক্ টক সদা, জীৱন্ত বোলায়।

যথাৰ্থ বল

ঘোঁৰাৰ বেগত বাগী, বেগী নাম পাওঁ,
পৰৰ যশস্যা পিন্ধি গৌৰৱ বঢ়াওঁ!—
মোক বা বেগায় কোনে, নেভাবিলা বাগি!
নিৰ্দ্দোষী ঘোঁৰাক কিয় কৰা লাজ-ভাগী!

ঘৃণত গুণ

ভৰিত লাগিলে বোকা, ছি-ছি-ছা-ছা কৰি,
এছাৰত গাঁথি-ছিঙ্গা, নেৰেমানে সৰি,
বাটৰ বোকাক বাৰু পেলালা ঘিণাই,
পথাৰৰ বোকা কিয়, মাটি কোমলাই?

অপকাৰে উপকাৰ মাতে

দুবুৰ্জো, ঈশ্বৰে কিয় কৰিলে সৃজন,
ৰাতিও আমনি কৰা মহ অবুজন!

বুজোঁ মই, মহে কয়, সাধোঁ উপকাৰ,
জহত চেঁচনি বিছ মাতোঁ বাৰম্বাৰ।

পৰস্পৰ উপকাৰী

গছে বোলে, "লতা তোৰ জীৱনৰ খুটি
নহলে জীৱন মোৰ, কিযে তোৰ গতি!"
লতাই নীৰৱে কয়, পাই আতি ব্যথা,
"নহলে লতাৰ পাত ৰ'দে মাৰে সেঁথা।"

শকতৰ বিপদ

দিনত ডুবৰি বন খছকাত মৰে,
ৰাতি হলে মূৰ তুলি পুনু ঠন্ ধৰে।
পৰিল উভতি যদি বৰ গছ গুৰি,
দাঙ্গিব নোৱাৰে মূৰ, মুঠে আৰু ঘূৰি।

গৃহিণী

আৰ্জ্জিলা যতেকমানে ধন বস্তবোৰ,
আছিলা সাবটি তাক কৰি মোৰ মোৰ,
ন-অৰ্জ্জা এটিয়ে পাচে ললে আহি কাঢ়ি,
গিৰিসাই মোৰ বুলি থলেহি সামৰি।

ভাৰ্য্যা

যত্নত মাতৃৰ সমা, ৰঙত ভনীটি,
সঙ্গত বিশ্বাসী বন্ধু, ভক্তিত সন্ততি,
সম্ভোগত সহভুগী, কোন্ সিটি বাৰু?—
অৰ্দ্ধাঙ্গিনী প্ৰিয়ভাৰ্য্যা,- হব কোন্ আৰু?

বাৰু

কতনা যতন হাঁয়, কত চিপিয়নি,
সই-লোৱা "বাৰু" কম নে নকম গুণি।
আধা কই নিৰুত্তৰ, তলমূৰে-চোৱা,—
মৌনেৰে সম্মতি ভাব ফুটাই নোকোৱা।

ৰোহ

আনন্দৰ ওপচনি মিলন সোঁতৰ,
কেতিয়াবা পাৰ ভাঙ্গি কৰে অথন্তৰ।
ভেটা দি মাজতে, ৰোহিণীয়ে পাতে ৰোহ,
ওফোন্দ-মিলত প্ৰণয়ৰ বাঢে মোহ!

বান্দৰী

বান্দৰীৰ বাওঁ হাতে বাছি কেনে থায়!
সভ্যতাৰ খৰিকাই সৌন্দৰ্য্য ডুবায়।
ইতৰৰ স্বভাৱত আদিৰূপ ভাহে,
মানুহৰ দেখি ধুন প্ৰকৃতিয়ে হাঁহে।

ছবি

চঁউপাশে গছ, লতা, বন, ফুল কত,
দেৱতাৰ অনুৰূপী নৰ, নাৰী যত,
প্ৰতিপদে মানুহক এক্ষন্তেক নেৰে,
তথাপি অসুখী নৰে ছবি আঁকি মৰে!

আনন্দৰ সীমা

চুপতিৰ বা পালে আহে ঠন্ ধৰি,
চেনেহৰ লেতুসেতু কুমলীয়া ঠাৰি,
কথাত শিপাই কথা বাঢে ৰঘুমলা,
আনন্দৰ কুঁহি ঠাৰি কৰে সি জুকলা!

মধুপুৰী

গুণ্ গুণ্ গুণে মন উৰি ঘূৰি চায়,—
মনোমত ক'ত পায় জিৰণিৰ ঠাই!
আহিল উলটি পাচে বিশ্বৰাজ্য ঘূৰি,
স্বদেশৰ দৰে নাই পুণ্য মধুপুৰী।

প্ৰকৃত অনুভৱ

প্ৰাণে প্ৰাণে আশা কৰা অভাৱৰ গুটি,
নাইমানে পাবলই,—হিয়াৰ ধাউতি;
পাঙিছিল কত ভোগ, পূৰ হল আশা,—
ছাতিলে গুটিৰে হিয়া,—পূৰ্ব্ব ভাব মিছা!

বনগুটি

কাছুতিত লাগি ধৰি কৰে সি আমনি,
ভালপোৱা নাই তাৰ উদ্দেশ্য অকণি!—

প্ৰাণ দি মিলন খোজোঁ, স্বভাৱেই মোৰ,
নীচ মই বনগুটি, প্ৰেম-পুৰী-চোৰ!

অকণি

বিজুলী

বেঁকা এটি ৰেখা মাথোঁ, লয় ক্ষন্তেকত,
সৃষ্টিৰ সৌন্দৰ্য্য জিনে প্ৰতি ভমকত।

জিৰণি

ৰ'দৰ তাপৰ ঢল, অসহনি গাত,
জগতৰ শান্তি বন্ধা এজুপি ছঁয়াত।

সলনি

বিৰহৰ টান ছেপা দিনে শতবাৰ,
মিলনৰ আলিঙ্গন মুঠে' এটি বাৰ।

জুমলীয়া

বতৰৰ পকা ফল হেজাৰ সম্ভোগ,
জুমলীয়া একোটিত আতি আপুৰুগ।

অতি ক্ষুদ্ৰ

পানীৰ অকণি ফোঁট, বৃষ্টিৰ কাৰণ,
পিতৃ বুলি মানে তাক সাগৰ প্ৰধান।

মহত্তৰ ক্ষমতা

বালিচাহী এটি পৰে হাতীৰ কাণত,
প্ৰতিকাৰ নাহি তাৰ, বেদনা প্ৰাণত।

আদৰ

প্ৰকাণ্ড আকাৰে কত সৃষ্টি ভৰপূৰ;
সোণ-বালি বাছনিত কিয় তলমূৰ?

দুখীয়াৰ দান

ৰজাৰ অপাৰ শক্তি, লাখ হীৰা দান,
দুখীয়াৰ চৰা দান, একেমুঠি ধান।

ক্ষুদ্ৰৰ শক্তি

বৰ নৈৰ অহঙ্কাৰ,—গাওঁ-বন ভাঙে;
জুৰিটিৰ সমসোঁতে পাথৰকো খানে।

টকা আৰু কড়ি

টকাই কড়িক নিন্দে, বুলি কণা-কড়ি;
কড়িয়ে দুখিত তাৰে, টকা থাকে পৰি।

সৰু-বৰ

পশুৰাজ বন্দী হয়, জৰীৰ জালত,
নিগনিৰ ক্ষুদ্ৰ দাঁতে উদ্ধাৰে কালত।

ক্ষণ

দিনটো সম্পদে যায়, ক্ষণটো নাযায়;
ক্ষন্তেক ছেগত ধৰে বিপদে মেৰাই।

সৰুটি

ভোঁহৰক ধৰে ভেটি, সুৰুঙা নেপায়,
বেজী-আগে পায় বাট কঁঠাক ভেদাই।

কঠৰাত কোমলতা

ছাগৰ ডেডনি চোকা, অসুখ আমনি,
ম'হৰ নাকনি মাত, মৰম বুজনি।

মূল-শক্তি

অকাই পকাই বেঁতে ৰাখে জোৰা আটি,
নহলে নিনিজে কাম ক্ষুদ্ৰ মোচোৰাটি।

ক্ষুদ্ৰপাক

যুগ, বৰ্ষ, মাহ, দিনে কালেকো নৰয়;
মিনিটৰ টিপনিত সেও হই ৰয়।

পথাৰ

বিশাল পথাৰ জুৰি মুঠে' ধান-খেতি;
হিয়াৰ ওপৰে গজে ব্ৰহ্মাণ্ডৰ গুটি।

চেঁচনি

ক্ৰোধৰ অগনি বাণে চকু চমকায়;
মৰমৰ মিঠা মাতে হিয়া কোমলায়

বিদায়

'আহোঁ' বোলা সন্নিধান, বিদায় বচন ,—
আবেগে বুজাই কয়, পুনৰ মিলন।

শেষ

'শেষ' নামে সামৰণ সাধনাৰ কাম ,—
তাতে হে জনম পুহু 'আৰম্ভণ' নাম।

শেষ

ওপৰঞ্চি

লগাই-দিয়া

সংসাৰ-হাটৰ ভাও যেনে চৰাচৰি,
ওপৰঞ্চি টানি ধৰা তেনে বঢ়াবঢ়ি ,
বেহায় যি লাখ টকা, আঁজলি ঘূৰায ,
সিকীয়া বেহাই টানে, কড়া ক্রান্তি পাই।

উপৰি-আলাপ

ভালেদিন পাচে দেখা, দীৰ্ঘ আলাপন
নহওঁতে এজনৰ, আনে আৰম্ভণ ,
সংসাৰী উদ্দেশ্যে টনা বিদায়ৰ মন,
ওপৰঞ্চি আলাপত ঘূৰি নিমগন।

পুনশ্চ

হিয়াৰ ঠিহনি ভাব বাজত মেলাই,
পত্ৰৰ দুপিঠি জুৰি কাপেৰে চলায় ,
দুফুটিল তথাপিতো হিযাভৰা ভাব,
'পুনশ্চ' নহলমানে লিখা টীকা-চাব।

বঁটা

লেকেটীয়া খাটনিৰ বৃত্তিভোগী প্ৰাণ,
জিৰণি নেদেখা দিন কটাই প্ৰস্থান।
ফুনাই কামৰ নাম নসহে প্ৰাণত ,—
এফেৰি বঁটাই তাকো সধায় পাকত।

অন্ত

'অন্ত নামে সামৰণ হাতৰ সকাম,
চকু-মনে বান্ধে সীমা নাই বুলি আন ,
অনন্ত আশাই দেখে নেদেখে দেশত,
দূৰ-দূৰৈ হোয়া কিবা অলেখ লেখত।

অন্ত

উপৰি-ওপৰঞ্চি

জুৰণি

নিমাতী প্ৰকৃতি জুৰি জড়জগতত,
অব্যক্ত ভাবৰ হকে মুকলি দুৱাৰ ,—
সজীৱ কবিতা সৃষ্টি ভাবুক প্ৰাণত,
নিৰ্জ্জীৱ কল্পনা কৰি জীৱ-সমিচাৰ।
প্ৰমত্ত প্ৰেমিকে পতা ৰূপহী ফুলনি
মহা উলাহত ফুলে জকমক্ কৰি ,
পৰাণ উন্মাদ তাৰ ভবিষ্য নগণি,
কবিতাৰ আঁচলত আবেগেৰে ধৰি।
সপোন ৰাজ্যৰ সেই সৌন্দৰ্য্যৰ পাহি
লেৰেলি মৰহি যায় বিৰহ তাপত ,
নসহি মানিনী পাচে পুনৰপি আহি
সন্তৰ্পণে ফুলচাকি পিন্ধেহি খোপাত !--
প্ৰেমৰ অমিয়া চুহি,—কল্পতৰু জিনি,—
বিৰহ-পোৰণি মাৰে পিয়াই জুৰণি।

মাতৃ মোৰ

জনম-জঠৰধাতৃ আই-মাতৃ মোৰ,
স্তনদাতৃ জীৱনৰ জীপ্ প্ৰদায়িনী ,
পৃথিবীত মানৱীৰ প্ৰথমা মুখানি
প্ৰথম দৰ্শনে যাৰ, হল প্ৰাণ জুৰ।
মৰতত স্বৰগৰ স্নেহ উপভোগ,
জয়ে-জয়ে যাৰপৰা লাভ সংসাৰত ,
পীযুষীয়া হিয়া চুমি জন্ম-ভাগৰত,
জুৰণি অমৃত পান, প্ৰথম সম্ভোগ ;

যাৰ স'তে চাৰিচকু পোনে মিলা-প্ৰীতি,
—জগতীৰে কথা পতা চকুৰে-চকুৰে,—
সংসাৰৰ সুখ-দুখ, গুপ্ত ৰীতি-নীতি,
মায়া-মোহ, বিকাশিলে নিমাতীৰ ৰাৱে,
সেই মোৰ মায়াময়ী চেনেহী প্ৰসূতী ;—
নমোঁ নমোঁ মাতৃ মোৰ নমোঁ তৱ পাৱে।

আইদেউ 'আইকণ'

মাতৃ-অনুকৃতি মোৰ প্ৰাণৰ ভনীটি,
আছিলাঁ জিলিকি, আই, 'সূৰ্য্য'-পোহৰত ;
দাম্পত্যৰ ফললাভ পুত্ৰ-কন্যা দুটি ;—
হেৰাল দুয়োটি হায়, ঘোৰ অকালত !
আদৰ্শ গৃহিণী হই গৃহস্থী কৰম
চন্তালি পৰোক্ষভাৱে থাপিলাঁ কৃতিত্ব ;
সযত্নে পালন কৰি ভাৰ্য্যাৰ ধৰম,—
নাৰীৰ পৰম ৰত্ন অমূল্য সতীত্ব
নহওঁতে বেলাভাটী ; 'সূৰ্য্য'ৰ কিৰণে
সংসাৰ জোনাক কৰি, থাকোতে আদৰি,
আচম্বিতে আঁৰ কৰি ধৰিলে মৰণে
আছোঁতে সতেজে দুয়ো দিনমান ঘূৰি ,
অন্তৰ্দ্ধান অকালত নিয়তী-নিয়মে,
পতি-পুত্ৰ নাতি-পুতি ঘৰ-বাৰী এৰি।

হেমচন্দ্ৰ গোস্বামী

চনেট্ চানেকি আঁচি পোন্-প্ৰথমতে,
'প্ৰকৃতিৰ চো-ঘৰ' চাই 'পিত্-পিত্',
অসমীয়া সাহিত্যৰ ভঁৰালত থিত্
নতুন সম্ভাৰ এটি কৰিলাঁ লাচতে।
'চানেকি' সংগ্ৰহ কৰি জাতি-সাহিত্যৰ,
অসম সমল স'তে সতিনী থলত
বন্ধালাঁ যি ওখ দোল 'বিশ্ব'-মণ্ডপত,
চৰাব গৌৰৱ তৱ যুগ-যুগান্তৰ।
'কাকুতি' তোমাৰ শুনি, প্ৰেমিকাৰ প্ৰতি,
'বিজুলী বুকুত দেখি' সেই 'সোণলতা',
নপমি নোৱাৰে,—যাৰ সুকৰুণ মতি—
প্ৰতি পদে প্ৰতিভাত হোৱা কোমলতা
বুৰঞ্জী-ভোমোৰা তুমি, পুৰণিত ৰতি,
সাধিলাঁ তাৰেই দেৱ মৰ্ত্ত্য অমৰতা।

হৰিনাথ গগৈদেৱ

আজীৱন লগৰীয়া হৰিনামী জন,
শৈশৱ, যৌৱন আৰু আদহীয়া প্ৰাণে ;—
কোনো বা লগৰী, কোনো পাত্ৰ পুত্ৰসম,
কোনো বা নমস্য জন 'হৰি'-ৰূপী নামে।
জোৱাঁই জেউতি মোৰ 'মাজিউ' সোণাই,
হৰিনাথ গগৈদেৱ,—সোণালী বৰণ,—
বুকু জুৰ্ কৰি মোৰ আছোঁতে গুৰাই,
নিদয়া নিয়তি আহি কৰিলে হৰণ !
বীৰ্য্যৰ প্ৰতিভা আৰু ধৈৰ্য্যৰ ধৰণী,
একাধাৰে সুলক্ষিত সুঠাম দেহত ;
ৰাজত বীৰেন্দ্ৰ, ঘৰত 'ভুবৰি'-মণি ;
সৰ্ব্বগুণাকৰ পুত্ৰ আজ্ঞাপালনত।
দেহা লই ৰূপ থই হৰি নিলে হৰি,
জীৱন্ততে মৰা মোক দিনকণা কৰি !

ৰোহিণীকান্ত হাতীবৰুৱা

ৰোহিণী নক্ষত্ৰ যেন ভাদ-অষ্টমীৰ,
জনমিলাঁ অসমত দেশভক্ত হই ;
কৰিলাঁ প্ৰফুল্ল আহি 'পদুম কুটীৰ',
ডুদিনীয়া আলহীৰ ৰেঙ-ৰূপ লই।
'স্বদেশ-হিতৈষী' নাম ৰই-বই যায় ,—
গুপুত বাসনা মোৰ হল ধাৱমান
পাবলই পুত্ৰৰূপে, তৃতীয় জোৱাঁই ,—
পূৰ্ণ হল মনোৰথ, ললাঁ কন্যাদান।
কিন্তু, হায়, নহওঁতে দুটি বৰ্ষ পুৰ,
সগৰ্ভা কুমাৰী ভাৰ্য্যা কৰি জীয়াৰাৰী,
নিকৰুণ কালে আহি কৰিলে যে চুৰ,
সেউজীয়া অসমক কৰি এৰাবাৰী !

বিনায় সদৌৱে ধৰি সুমৰণ সুৰ,
তোমাক হৰিব দেখি অসম আন্ধাৰি!

মাণিকচন্দ্ৰ বৰুৱা

সবাৰো উপৰি শ্ৰেষ্ঠ মণি-উপহাৰ
মাণিক, আপুনি তুমি। কি আছে আমাৰ,
উপহাৰ নামে ধৰোঁ তোমাৰ নামত,
ৰত্নৰ আকৰ মোৰ ৰম্য অসমত?
আপোনাৰ কৰ্ম্মবীজ ৰুপিলাঁ আপুনি,
গছ হই ফুলে ফলে শোভে সি ধৰণী,
গোন্ধত আমোলমোল, ফল উপভোগে
ঋণী কৰি জাতি ভাই থব যুগে-যুগে।
স্বাৰ্থত 'স্বদেশ' কিন্তু ধৰ্ম্ম-ৰীতি যাৰ,
নোৱাৰে শুটাব সিটে ঋণ-উপকাৰ;—
আপোন পাহৰি যদি পাৰে সুমৰিব,
মূল এৰি সুদ-অংশ পাৰে বা শুজিব?
কৃতজ্ঞতা, জাতিভাব, গুণপূজা-ৰীতি,
নাই যদি কৰমত,—ৰ'ব ক'ত স্মৃতি?

লুকুৱা হাঁহি

প্ৰকৃতিৰ ফুলি-উঠা বুকু উদিয়াই,
আধা আলো আধা ছাঁত জেউতিৰ খনি,
প্ৰাণভৰি চাওঁ হাঁয়, বাৰম্বাৰ চাই,—
চিকমিক্ ৰূপলীলা, বৈদ্যুতিক মণি।
সমূখীয়া তিৰিপিতি নপৰোঁতে ওৰ,
এগলীয়া মনমোহা দীপ্তি দেখা পাওঁ,
সিগলীয়া জেউতিত সৌন্দৰ্য্যৰ ভৰ,
চকামকা ৰূপে চাই পমিয়েই যাওঁ!
পাকে পাকে ধৰা পৰে বেঁকা চাহনিটি,
মন-প্ৰাণ কাঢ়ি নিয়ে চকু-পচাৰতে।
মিচিকি মিচিকি কঁপা বিম্ব-ওঁঠ দুটি,
কওঁ কওঁ কওঁ কথা, বুজাই ভাবতে।
অত শোভা লুকাযিত ঢোপা কলিটিত,
ফুলোঁ ফুলোঁ পাহিটিৰ লুকুৱা হাঁহিত।

সোণৰ সংসাৰ

নল মৰে গাজ উঠে, জীয়ায় জাৰণি,
চন্ পৰা বননিৰ জেউতি চৰায়;
উলাহত পাহমেলা কুঁহি ঠাল-ঠানি
বাঢ়ি নিতে আশে পাশে জোপাটি পূৰায়।
জীৱনৰ আদিছোৱা—শুদা লীলা-খেলা—
মাৰ গল যেবে ঘটি ৰূপান্তৰ তাৰ,
শুভকাল নলমূল, মৰি সেই বেলা,
পোনা-পোখা মেলি পুনু পূৰঠ্ সংসাৰ।
বাঢ়ে যেন বল তাৰ, অঙ্গবৃদ্ধি স'তে,
বাঢ়ি নিতে দাম্পত্যৰ পৱিত্ৰ সম্ভোগ;
জ্ঞাতি, জাতি, জন্মভূমি, ধৰা সমন্বিতে,
সম্বন্ধ চৰাই যেন ভুঞ্জোঁ নৰভোগ।—
বাঞ্ছা, হাঁয়, এই ভোগ নহওঁতে পাৰ,
পাৰ হওঁ, পূৰ কৰি সোণৰ সংসাৰ।

লগৰে অকল

বিষয়-জঞ্জালে পোৱা পৰিয়াল মাজে,
আলাপ আলচে ভৰা সংসাৰ-সভাত,
লগৰে কামত লগা মানৱ সমাজে
আজৰি নাপায় লেশ কৰ্ত্তব্য সধাত।
সাহিত্য, সমাজ, ধৰ্ম্ম, ৰাজনীতি লই,
কত আলোচন, কত আন্দোলন ঘোৰ,—
নিছিগা ধাৰেৰে বোৱা প্ৰবাহিত নই;
এফেৰিও নাই ছেগ অকলে ৰবৰ।
তাচ-পাশা, খেল-নাচ, হাঁহি-ধেমালিৰে
মত্ত লৰা, ডেকা, বুঢ়া আতি উলাহিত;
গান-বাদ্য, ভাব-ভঙ্গী, হাই-উৰুমিৰে
সংসাৰৰ মাজভাগ জোঁৱাৰে প্লাৱিত।
তাৰোমাজে কোনোবাটি লগৰে অকল,
জনতাৰ মাজে থাকি নিজানৰ জ্ঞান;
অকলে নিৰৱে হাঁহে, ভাবত বিকল,
কিবা খেল, কিবা মেল, কিবা নাচ-গান!

অকলে লগত

নিজান নিটাল, নাই প্ৰাণীৰ সঞ্চাৰ,
সংসাৰী লগৰী যত, বহু নিলগত,
মুগুনি আবাৰ-বাৰ জীৱিকা-বেহাৰ,—
নিজম প্ৰকৃতি জীৱ বহু ভাগৰত।
উঠা-পৰা হঁহা-কন্দা জীৱন-যুঁজৰ,
অশান্তিৰ নাই চিন্ ভৱ-দুপৰীয়া,
নাই কোনো লগৰীয়া কথা পাতিবৰ,
বিৰহী পৰাণ এটি অকলশৰীয়া।
আলাপত নাই ৰাপ্ বিলাস-নজনা,
সমাজৰ মাজ হই জীৱন্তে নোপোৱা,
নিবোকা-চামোন সিটি, সততে বিমনা,
সঙ্গত্যাগী ৰঙ্গহীন সংসাৰ বেহোৱা,
আছে কোনো মুগ্ধপ্ৰাণ চিন্তালগৰীয়া,
সাৰটি সাহিত্যচৰ্চ্চা উন্নতি কল্পত,
জীৱন উছৰ্গা কৰি ভৱ-ভাৱৰীয়া,—
জিৰাবৰ ছেগ নাই,- অকলে লগত।

উষা-হৰণ

জুৰণি জেউতি মেলি পূব আকাশত,
অনিৰুদ্ধ-ৰবি-কায়া উজ্বলি উষাই
কোমল লাৱণ্য প্ৰভা পুৰঁতী মুখত
ধৰোঁতেই লয় পায় জীৱন জুৰাই!
কোমলে কোমল মিলি কুমলীয়া বেলি,
প্ৰেমৰ আবেগ মেলি যেই ধৰা দিলে,
হিয়াত হিয়াৰে দেহি চাওঁতেই মিলি,
উষাৰ কোমল কায়া হৰিয়েই নিলে।
কাৰ কায়া, কাৰ ছাঁয়া, হেৰাব চিনাকি,
দুটি কায়া একাকাৰ,—দৈহিক মিলন—
যৌৱনত দকমক,—থৌকিবাথৌকি--
পূবত মিলিত যোৰা পছিমে শয়ন।
সংসাৰ-সুখৰপৰা কৰোক বঞ্চিত,
গুচোক সৃষ্টিৰ লীলা, মায়াৰ ঢাকোন,
মিলে যদি এনে সুখ,—অমৰবাঞ্ছিত—
পবিত্ৰ মিলন মাজে সুখৰ মৰণ!

জীৱন-সন্ধিয়া

সমনীয়া লগৰীয়া, হেৰা 'ৰাজখোৱা'!
আত্মাই আত্মাক শুনে দেহদুৰ্গ ভেদি,—
তোমাৰ 'সন্ধিয়া গীত' নিলগত গোৱা,
গোৱাৰ আগেয়ে মই শুনোঁ কেনিবাদি!
মিলিছে তোমাৰে স'তে মোৰো সান্ধ্যগীত,
নাপাই বিচাৰি মনে সিপুৰীয়া থান,
মানৱী চকুৰে চাই,—চাই পিত্-পিত্—
যুক্তিৰ বুজনি মাথো,—নাই একো আন।
আছোঁ বাৰু দুয়ো আজি ধৰাতে উমলি,
চেমনীয়া কাল ধৰি একে সমলেৰে,
কাইলৈ দেহী গুচি যাম কেনি চলি,
নাভাৱিবা, জানিছা নে সঁচা প্ৰমাণেৰে?
যুক্তিৰ ধৰম সাৰ মন-পতিউৱা,—
প্ৰত্যক্ষ প্ৰমাণ তাৰ দিবলৈ নাই,
নাপালে সন্ধান সেই পুৰী নো কেনুৱা,
কেনেকৈ বোলোঁ 'ভাল'?—কোৱাঁ মোৰ ভাই!

নেদেখা-জন

ত্ৰিভুবন-ভুবন-ভুবন-লাখকোটি,
ত্ৰিজগত-জগত-জগত-অধিপতি,
সৃষ্টি-স্থিতি-প্ৰলয়ৰ নিগূঢ় কাৰণ,
কোটি ব্ৰহ্মাণ্ডৰ স্বামী মাথোঁ একেজন।
কৰ্ম্ম আছে, কৰ্ত্তা নাই,—মানৱী চকুত—
নিদৰ্শন বৰ্ত্তমান-ভৱিষ্যত-ভূত;—
বিদ্যমান চিন্-চাব আকাশে পাতালে
চামে-চামে দৃশ্যমান দিব্যদৃষ্টে চালে।
মানৱ গায়ক যিনি কীট-পখী-নৰী,
ভজন গাওঁতা আছে,—চিন্তি চোৱাঁ যদি,-
পৱনৰ আৱতিৰ মৰ্ম্মস্পৰ্শী স্বৰে
হৃদয় গহ্বৰ ভেদি বিয়াকুল কৰে!

বাহিৰে-ভিতৰে ভৰা,—কাৰ কীৰ্ত্তি কৰ্ম্ম ?
মুক্তিমাৰ্গ পোহৰায়,—কাৰ পুণ্য ধৰ্ম্ম ?
কাৰ হিয়া, কাৰ প্ৰাণ, কোন্ সি সুজন ?
ক'ৰ তেওঁ, থিতে ক'ত ?—নেদেখা সিজন।

কবি ৰবীন্দ্ৰনাথ

ৰবীন্দ্ৰ কবীন্দ্ৰ আজি অমৰ সভাত,
'বাল্মীকি প্ৰতিভা' প্ৰভা প্ৰকাশি ধৰাত,
কালিদাস-পূজাভাগ সম্ভোগি জীৱন্তে
পুষ্প-অৰ্ঘ্য পৃথিৱীৰ লভি অযাচিতে।
সাদৰৰ 'ৰবি বাবু'—ভাৰতবিদিত—
প্ৰতিভা প্ৰভাৱ গুণে পৃথিৱী পূজিত,
'সুমেৰু কুমেৰু' চুঁচি—'কণক আঁচল'—
'স্তন'-ৰত্ন তাহানিয়ে কৰিলা দখল।
থলা কিবা, বল কিবা, কিবা বাকী আৰু ?
কিহেৰে আদৰি তব যোগ্য মান ধৰোঁ !—
অকণি 'কণিকা' আৰু 'কণিকা' ঠগত,
তোমাৰে চানেকি চাই ৰচা নিলগত,
'জুৰণি' আঁজলি ধৰি আছোঁ পাতি হিয়া,
লোৱাঁহি আসন ৰবি !—জীৱন-সন্ধিয়া,—
লাখ টকা 'নবেল'ৰ বঁটা পূৰণত,
কড়া-ক্ৰান্তি যোগ মাথোঁ এই ওলগত।

লক্ষ্মীনাথ বেজবৰুৱা

কান্দো-কান্দো মন-প্ৰাণ কান্দন ওলাই নাহে,
শোকাশ্ৰু উপচি পৰি, চকু-লো নিজৰি আহে।
ঘনে-ঘন নিশ্বাসত ভগা-বুকু ভাগি যায়,
দীঘলীয়া হুমুনিয়া',—অৰ্থ তাৰ অন্ত নাই।
মৰ্ম্মথল মৰিমুৰ কৰি কিহে অসাঠন
কৰে আতি বিচাটন দগ্ধ দেহ-প্ৰাণ-মন।
নেদেখাত দেখি থকা প্ৰিয়তম লগৰীয়া,
সহধৰ্ম্মী সহযোগী সহকৰ্ম্মী সমনীয়া,
তনুত্যাগী হল বুলি বিজুলী-বাতৰি আহে,
অকলশৰীয়া ভেলা মোৰ বিষাদত ভাহে!
নামানে যে মনে মোৰ নাহে প্ৰাণে পতিয়ন,
থুহুটীয়া 'ৰসৰাজ' স্বৰ্গী হোৱা বিজ্ঞাপন,
ৰাজ-বেজ-বৰুৱাক মাৰে কোনে, সাধ্য কাৰ
মৰিও অমৰ তেওঁ লেখনীৰে আপোনাৰ,
'অসমীয় ভাষা' নাম আছেমানে জগতত,
'কৃপাবৰ' লক্ষ্মীনাথ অমৰ ই মৰতত।

সমাপ্ত

মোখনি

নাৰায়ণী সন্দিকৈ

গোহাঞিবৰুৱা-বংশজিলিকনি-জ্যোতি
—আছোঁতে উজলি সন্দিকই বংশধৰ—
'সোণফেৰি' !—সুমলীয়া প্ৰাণৰ ভনীটি !—
নিলগি সিপাৰ হলি নীলা আকাশৰ।
'বিনামেঘে বজ্ৰাঘাত',—'কান্ত'ৰ বুকত,
পুত্ৰ-কন্যা, নাতি-পুতি, অগ্ৰজৰ প্ৰাণ,
ঠৰ্‌মৰ্ থাই পৰে হই মৰ্ম্মাহত,—
জ্ঞাতি, জাতি, গুণগ্ৰাহী সবো ম্ৰিয়মান্।
'নাৰায়ণী-সন্দিকই-মঠ'—স্মৃতিচিন্—
থাকিল ৰখীয়া, আই। কীৰ্ত্তিৰাশি তোৰ
অহুকৃতি চিত্ৰস'তে,—বিস্মৃতিবিহীন—
সহোদৰা স্নেহ আৰু অন্তৰত মোৰ।
সধৱা জীৱাত্মা তৱ পৰমাত্মালীন,—
নাই, হাঁয়, সমিধান এই চকু-লোৰ!

কমলাকান্ত বৰুৱা

পিতৃ-অনুকৃতি মুখ,—'সূৰ্য্য'ৰ তনয়,
মাতৃ-অনুকৃতি ওঁঠ,—'আইকণ' ভনী,
তোৰো এটি ভনী স'তে পুত্ৰ-কন্যাদ্বয়
কৰি লাভ বিমোহিত জনক-জননী।
এৰি গল ভনীটিয়ে, অকালত মৰি,
ৰই গলি 'মইনা'টি ঢোপা থুপিটিত;

একেটি সন্তান তোকে আঁকোৱালি ধৰি,
সন্তাপিত পিতৃ-মাতৃ আতি হৰষিত।
কানসমনীয়া ডেকা হলি যেবে তই,
'হাকিম' বিষয়া-বাব,—পিতৃৰ সমান—
বাছনিত কৰি লাভ, যোগ্যতৰ হই,
ৰাখিলি সুদৃঢ় কৰি বংশৰ সুনাম।
আছোঁতে কুটুম্বে চাই তোৰ যশলই,
আচম্বিতে অস্ত তোৰ তনুটি সুঠাম!

সত্যনাথ বৰা

সত্যকই সত্যনাথ সাহিত্য-সেৱক,
মাতৃভাষা-মজিয়াত পীৰা পাৰি লিখা
নিমজ নিভাঁজ ঠগে' জাতীয় লেখক,—
স্বদেশীয়া দাপোণত আত্মৰূপ দেখা।
ভাবত গভীৰ সুৰ, ভাষাত ঘৰুৱা,
বাজত সৰল সাজ, ভিতৰি জটিল,
প্ৰাচ্য-পছিমীয়া ঠাচ্, বিষয় সাৰুৱা,
চিন্তা-আলোচন নোহে অকণো কুটিল।
সাহিত্য-কঠীয়াতলি 'উষা'-'জোনাকী'ৰ
সেউজীয়া পথাৰত গ্ৰন্থ-ৰোৱা ৰই,
নদনবদন শস্য আই অসমীৰ,
ভৰালঁ উভাল তুমি আদৰুৱাকই।
পাঙিছিলাঁ আৰু যিবা নেদেখা কালিৰ,
লগতেই লয় পালে অকালত অই!

কমলাকান্ত ভট্টাচাৰ্য্য

'অগ্নি-কবি' নামে তুমি অসম-বিদিত,
'চিন্তানল' চিতাকাষে বহি যোগীবৰ!
গণি গণি পূৰ্ব্বকীৰ্ত্তি আঁখি উন্মিলিত,
হিয়াত উতলা ভাব তাপিত প্ৰাণৰ!
বিভিয়াই চউপাশে,—ভৈয়ামে পৰ্ব্বতে,—
তুলিছিলাঁ প্ৰতিধ্বনি জাতি উটঙ্গাই;
এলাহ-টোপনি ভাঙ্গি, নিন্দাবাণী স'তে,
ভ্ৰমি বহু কীৰ্ত্তিস্থল,—মুগুই-নেখাই!
অভিজ্ঞানবিশাৰদ,—দাৰ্শনিক কবি,
আছিলাঁ বিতৰি আৰু মৌলিক চিন্তাৰ
প্ৰখৰ ময়ুখ মথি,—সন্ধিয়াৰ ৰবি,—
আত্মতত্ত্ব পৰমাৰ্থ জ্ঞানৰ বিস্তাৰ।
আছোঁতে চৌৰাশী বৰ্ষ নিবোকীয়া ছবি,
টুপুৰাই মাৰি বুৰ পালাঁগৈ সিপাৰ।

মোখনি সম্পূৰণ

ফুলৰ চানেকি

পাতনি

এই 'চানেকি'ত বছা কবিতা-ফুল আটাইবোৰেই মোৰ নিজা ফুলনিৰ। তাৰ নিমিত্তে মই কাৰো ওচৰত হাত পাতিব লগীয়া হোৱা নাই; আৰু কাৰো ফুলনিলৈ হাত মেলাও নাই। আদিৰেপৰা আজিলৈকে মোৰ ৰচিত কবিতা ফুলবোৰ, চাওঁ বুলিলে একেঠাইতে পোৱাকৈ, থাউকতে থুপাই থোৱাৰ অভিপ্ৰায়ে 'ফুলৰ চানেকি' এখন হাতে-অঁচা চকুৱা-পাতত বাছি থোৱা আছিল; বি-এ মহলাৰ্থীৰ 'কোৰ্চ' বা পাঠ্যপুথিৰ কাৰণে সেই 'চানেকি' আগ বঢ়াবৰ মনেৰে, মূল চানেকিৰপৰা কিছুমান বিশিষ্ট কবিতা-ফুল বাছি আনি, তাৰে সৈতে তাৰ এছোৱাৰ বিশিষ্ট তাওৰণ এটা উলিয়াৰ অৰ্থে এইখন 'ফুলৰ চানেকি' যুগুত কৰা হৈছে। কলিকতা বিশ্ববিদ্যালয়ৰ পুথি-বছা বোৰ্ডে ইয়াক বি-এ মহলাৰ্থীৰ কাৰণে 'কোৰ্চ' মনোনীত কৰিলে মই বোৰ্ডৰ সদস্যসকল আৰু কৰ্তৃপক্ষৰ নথৈ শলাগ লম। ইতি—

"পদ্মকুটীৰ", তেজপুৰ, অসম
আহিন, ১৮৬৩ শক

শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

উছৰ্গা

কবীন্দ্ৰ ৰবীন্দ্ৰ আজি অমৰ সভাত,
'বাল্মীকি প্ৰতিভা'-প্ৰভা প্ৰকাশি ধৰাত,
কালিদাস-পূজাভাগ সম্ভোগি সাক্ষাতে,
পুষ্প-অৰ্ঘ্য ভাৰতৰ লভি অযাচিতে;
সাদৰৰ 'ৰবি বাবু'—ভাৰতবিদিত—
প্ৰতিভা প্ৰভাৰ গুণে পৃথিৱী-পূজিত;
'সুমেৰু কুমেৰু' চুঁচি—'কণক অচল'--
'স্তন'-ৰত্ন যৌৱনত কৰিলাঁ দখল।
থলাঁ কিবা? ৰ'ল কিবা? কিবা বাকী আৰু?
—কিহেৰে আদৰি তৱ যোগ্য মান ধৰোঁ?
অকণি 'কণিকা' আৰু 'ক্ষণিকা' ঠগত,
তোমাৰে চানেকি চাই ৰচা অসমত,
'জুৰণি' আঁজলি ধৰি দিছোঁ পাতি হিয়া,
লোৱাঁহি আসন ৰবি!—জীৱন-সন্ধিয়া।
লাখ টকা 'নবেল'ৰ বঁটা পূৰণত
কড়া-ক্ৰান্তি যোগ মাথোঁ এই ওলগত।

ফুলৰ চানেকি

বাগ্দেবী বন্দনা

নাজানো পূজাৰ বিধি, বন্দনাৰ নীতি,
বীণাপাণি বাগ্দেবি! চৰণ তোমাৰ
কিৰূপে পূজিম নৰে, বন্দিম কি মতে?
বজোঁৱা অনন্ত কাল সঞ্জীৱনী বীণা,
গহীন ঝঙ্কাৰে তাৰ কঁপাই বননি,
সৰায় কতনা ফুল,—কবি-ফুলনিত!
সুৰ বুজা কবিৰত্ন আদ্য কবিগণে
তাল-মান বান্ধি লই ৰচিলে কতনা
অবিনাশী মালা! অনুপম শোভা তাৰ
জিলিকে চৌপাশে মৰ্ত্য কাব্যকাননত।
সি দীপ্তিৰ প্ৰভাৱত হই দীপ্তিমান
আদ্য কবি সৰে, গুৰুপদ অনুসৰি,
ৰচিলে কতনা দীপ্তিময়ী ফুল-চাকি
মনে-বছা ছন্দে গাঁথি। হাঁহে মাতৃভাষা
উলাহিত প্ৰাণে, পিন্ধি পুত্ৰে ৰচা হাৰ।
গুণৱন্ত পুত্ৰ-যশ, বীণাৰ সুৰত,
গইছে বিয়াপি, অহ, ভাৰতক জুৰি,
মলয়াৰ বোকোচাত উঠি, হিমালয়
চূড়া জিনি জিলিকিছে জুৰি লঙ্কালই।
অমৰ সি সৱ নাম, আছে চিৰকাল,
আছেমানে জগতত চন্দ্ৰ-দিবাকৰ।—
সুবুজোঁ বীণাৰ সুৰ,—মূৰুখ সন্তানে,
নকঁপে ফুলৰ থুপি, নসৰে এপাহি
বাঁজীফুল অভাগাৰ বঁজা কল্পনাত!
তথাপি হৃদয়-তন্ত্ৰী বাজি উঠে ঘনে,
দুৰাশাৰ উচটনি পাই অন্তৰত!
গুৰু-দীপ্তি আগ কৰি, অন্ধৰ চকুত
যেন প্ৰদীপৰ তাপ,—উমানে উমানে
দুটিমান তলসৰা পাইছোঁ বিচাৰি,
গাথো তাৰে এটিধাৰ দৈন্য ফুলচাকি।
অযোগ্য ই বেণীলই, কণ্ঠ সুজুৰায়,—
থাকোক এপাশে পৰি, পাদপদ্ম স্পৰ্শি।
দিয়াঁ সুৰ দেবি! ৰচোঁ অভাজন মালা।

ফুলৰ চাকি

অতৃপ্ত বাসনা তোৰ জীৱন সম্বল,
সেয়ে তোৰ মোহনীৰ বাণ;
আশা ধৰি ফুলি উঠ, আশাতেই লয়,
এয়ে তোৰ জগতৰ মান।

*

বৃত্তি তোৰ প্ৰবৃত্তিত পুৰায় জীৱন,
নিবৃত্তিত তৃপ্তি তোৰ নাই,
আবেগৰ আগভাগ চিৰভোগ তোৰ,
বিলাসৰ শিৰে তোৰ ঠাই।

*

উলাহত কায়া তোৰ পমি-জহি যায়,
আনন্দত উৰে তোৰ প্ৰাণ;
ৰূপৰ চমক্ মাৰি জিলিক তৰাত,
অনন্তত প্ৰাপ্তি তোৰ ত্ৰাণ।

*

ভুবন বিভোল্ কৰ ছাঁয়াটিৰে তোৰ,
মিলনৰ পূৰ্ব্বৰাগ আঁচি;
সন্ধিয়া খোপাত পৰি হাঁহ যেবে তই
জগত-মোহিনী ফুল-চাকি!

কবিতা

নিমাত বিশ্বৰ ভাষা জড়-জগতত,
অব্যক্ত ভাবৰ হেতু মানসী দুৱাৰ,
সজীৱ কবিতা সৃষ্টি নিৰ্জ্জীৱ পটত,
অদৃশ্য কল্পনা কৰি সুদৃশ্য সম্ভাৰ।

নিৰাশ প্ৰেমিকে সাজে সান্ত্বনা কুটীৰ,
পূৰ্ণ মিলনত ফুটে প্ৰণয়ৰ ভাষা,
উন্মাদ পৰাণ হয় শান্ত সুগভীৰ,
কবিতাৰ পাতলিত মেলি-তৰি আশা।

সপোন-ৰাজ্যৰ ফুলে সৌন্দৰ্য্যৰ তৰা,
দিঠকৰো নানা ফুল হয় বিকশিত,
গোন্ধত আমোলমোল বিষাদিনী ধৰা,
অমৃত উপচি পৰে বিষাদী হৃদিত।

মৰ্ত্ত্যৰ মানৱ মন মৰিও অমৰ,
কোমল কবিতা কল্পি কৰুণ ৰসৰ।

টোপা কলি

প্ৰকৃতিৰ ফুলি উঠা বুকু উদিয়াই,
আধা আলো আধা ছাঁত জেউতিৰ খনি
প্ৰাণভৰি চাওঁ যেবে বাৰজলডাই,—
চিক্‌মিক্ ৰূপলীলা, বৈদ্যুতিক মণি!

সমুখীয়া তিৰিপিতি নপৰোঁতে ওৰ,
সিমুখীয়া মনমোহা দীপ্তি দেখা পাওঁ;
অভ্যন্তৰী জেউতিত সৌন্দৰ্য্যৰ ভৰ,
চকাটিৰ সোণা ৰূপ তলে দেখা পাওঁ!

পাকেপতি পৰে ধৰা বেঁকা চাহনীটি,
মন-প্ৰাণ নিয়ে কাঢ়ি চকু-পচাৰতে;
মলয়াত মিচিকাই কঁপা ওঁঠ দুটি,—
কওঁ-কওঁ-কওঁ কথা, বুজায় ভাৱতে!

অত শোভা মনলোভা টোপা কলিটিত,—
ফুলোঁ-ফুলোঁ পাহিটিৰ লুকুৱা হাঁহিত!

প্ৰাকৃতিক সংসাৰ

নল মৰে গাজ উঠে, জীয়ায় জাৰণি,
চন্‌পৰা বননিৰ জেউতি চৰায়,
উলাহত পাহমেলা কুঁহি-ঠাল ঠানি
বাঢ়ি উঠি আশে-পাশে জোপটি পূৰায়।

জীৱনৰ আদিছোৱা—শুদা লীলা-খেলা—
মাৰ গল যেবে ঘটি ৰূপান্তৰ তাৰ,
শুভকাল নলমূল মৰি সেই বেলা,
পোনা-পোখা মেলি পুনু পূৰঠ সংসাৰ।

বাঢে যেন বল তাৰ,—অঙ্গবৃদ্ধি স'তে,—
বাঢ়ি নিতে প্ৰাকৃতিক পৱিত্ৰ সম্ভোগ;
জ্ঞাতি, জাতি, জন্মভূমি,—ধৰা সমন্বিতে,
সম্বন্ধ চৰায় যেন ভুক্তি ফলভোগ।

বাঞ্ছা, যেন এনে ভোগ নহওঁতে পাৰ,
পাৰ হওঁ পূৰ কৰি পাৰ্থিব সংসাৰ!

স্বৰ্গতো অধিক জননী

জনম-জঠৰ ধাতৃ আইমাতৃ মোৰ,
স্তনদাতৃ জীৱনৰ জীপ-প্ৰদায়িনী,
পৃথিৱীত মানৱীৰ প্ৰথমা মুখানি,
প্ৰথম দৰ্শনে যাৰ, হল প্ৰাণ জুৰ;

মৰতত স্বৰগৰ স্নেহ উপভোগ
জয়ে-জয়ে যাৰ হন্তে লাভ সংসাৰত,
পীযূসীয়া হিয়া চুহি জন্ম-ভাগৰত,
জুৰণি অমৃত পান প্ৰথম সম্ভোগ;

যাৰ স'তে চাৰিচকু পোনে' মিলা-প্ৰীতি,
জগতীৰে কথা পতা চকুৰে-চকুৰে,—
সংসাৰৰ ভাবী ভোগ, গুপ্ত ৰীতিনীতি,
মায়া-মোহ বিকাশিলে নিয়তীৰ বৰে,

সেই মোৰ মায়াময়ী চেনেহী প্ৰসূতী,—
নমোঁ নমোঁ মাতৃ মোৰ নমোঁ তযু পাৱে!

কল্পনা চকু

মনৰ অধীন প্ৰজা,—চকু বাহিৰত,
সীমাবদ্ধা শক্তি তাৰ আতি যথাৰত;
বাহ্যিক জগত জুৰি সৌন্দৰ্য্য যিফেৰি,
পূজেহি প্ৰভুৰ পাব তাকে আগ কৰি।

আন দুটি দিব্যচকু, গাতে লাগি থকা,
পচাৰতে ত্ৰিভুবন একচিত্ৰে আঁকা,
আজন্ম মনক সেৱি পায় প্ৰতিদান,
বিষাদত শান্তিলাভ সাগৰ সমান;

দুৰাশাত পিয়ে পানী ভেদী মৰীচিকা,
অভাৱত সম্ভোগৰ পূৰ্ণ প্ৰহেলিকা,
অন্তৰ বাহিৰ আৰু নভৰা ভাগৰ,
নিতে ন ন পূজা দিয়ে,—দীপ্তি সৌন্দৰ্য্যৰ!

কল্পনা সিযুৰি চকু, বিশ্বৰাজ্য ঘূৰে,
সৃষ্টি মাজে দেহেশ্বৰে তাকে পিন্ধি ফুৰে।

ওৰণি

এৰিলে জীৱন যদি
জীৱন সলনি পায়,
মৰি জীঁও হই যেন
লাজুকী ওৰণি হাঁয়!
আবেগৰ ছেগ ধৰি
বালাক ধৰোঁতে লাজে,
বঁচাম মুখানি ঢাকি
অবলা-সাৰথি সাজে।
আহিলে বসন্ত-ৰাগ
মলযাত উটি-বুৰি,
বিজুলী বয়ানখনি
দেখুৱাম উৰি উৰি; -
চকুৰে চকুৰে তুযে
চকু-কথা পাতোঁতেই
বিচ্ছেদ-ধেমালি চাম
ঢাকি ধৰি লাচতেই!
চেৰে চেৰে ঠেও ধৰি
মিচিকি হাঁহিটি চাম,
ইগালে পোহৰ দি
আবেগৰ চুমা খাম!
চেৰেকনি ধুমুহাই
অকস্মাতে গাজি উঠি,
বিচ্ছেদৰ বিভীষিকা
যদিহে দেখায মথি,
অপায়ক আৰ কৰি
ভীতাক অভয় দিম,
বিমৰিষ্ চকু-পানী
চিপে চিপে টুকি পিম!
আমন-জিমনকই
থাকোঁতে নীৰৱে বহি,
আমোলনী শোভা চাম
বেণী এৰি পৰি খহি!
আবেগত প্ৰেম-ৰস
বিৰিঙিলে কপালত,
কপালেৰে মছি লম
উলাহেৰে তিলকত!
এতেক বাসনা মোৰ
পূৰ্ণ হয় যদি অই,
মৰি মৰি জন্মোঁ যেন
ৰমণী ওৰণি হই!

উষা-হৰণ

জুৰণি জেউতি মেলি পূব-আকাশত
অনিৰুদ্ধ-ৰবি-কায়া পোহৰি উষাই
কোমল লাৱণ্য প্ৰভা পুৱঁতী মুখত
ধৰোঁতেই লয় পায় জীৱন জুৰাই !

কোমলে কোমল মিলি কুমলীয়া বেলি
প্ৰেমৰ আবেগ মেলি যেই ধৰা দিলে ;
হিয়াত হিয়াৰে দেহি চাওঁতেই মিলি,
উষাৰ কোমল কায়া হৰিয়েই নিলে।

কাৰ কায়া কাৰ ছায়া, হেৰাল চিনাকি,
দুটি কায়া একাকাৰ,—দৈবিক মিলন ;—
যৌৱনত দক্‌মক্‌,—থৌকিবাথৌকি,—
পূৰত মিলিত যোৰা পছিমে শয়ন।

সংসাৰ-ভোগৰপৰা কৰোক বঞ্চিত,
গুচোক সৃষ্টিৰ লীলা, মায়াৰ ঢাকোন,
মিলে যদি এনে সুখ,—অমৰবাঞ্ছিত,—
পৱিত্ৰ মিলন মাজে সুখৰ মৰণ !

নেদেখা-জন

ত্ৰিভুবন-ভুবন-ভুবন-লাখকোটি,
ত্ৰিজগত-জগত-জগত-অধিপতি ;
সৃষ্টি-স্থিতি-প্ৰলয়ৰ নিগূঢ়-কাৰণ,
কোটি ব্ৰহ্মাণ্ডৰ স্বামী মাথোঁ একেজন।

কৰ্ম্ম আছে, কৰ্ত্তা নাই,—মানৱী চকুত—
নিদৰ্শন—বৰ্ত্তমান, ভৱিষ্যত, ভুত--
বিদ্যমান চিন্‌-চাব আকাশে পাতালে.
চামে চামে দৃশ্যমান,—দিব্যদৃষ্টে চালে।

মানৱ গায়ক জিনি, কীট-পখী-নদী,
ভজন গাওঁতা আছে, চিন্তি চোৱা যদি,
পৱনৰ আৰতিৰ মৰ্ম্মস্পৰ্শী স্বৰে
হৃদয় গহ্বৰ ভেজি বিয়াকুল কৰে !

বাহিৰে ভিতৰে ভৰা,—কাৰ কীৰ্ত্তি-কৰ্ম্ম ?
মুক্তিমাৰ্গ পোহৰায়,—কাৰ পুণ্য ধৰ্ম্ম ?
কাৰ হিয়া ? কাৰ প্ৰাণ ? কোন্ সি সুজন ?
ক'ৰ তেওঁ ? থিতে ক'ত ?—নেদেখা-সিজন।

বিজুলী

চমকে ৰেখাটি মাথোঁ দূৰ-দূৰণিত,
জগত জিলিকি উঠে ;
মুহূৰ্ত্তে বিয়াপি যায় কুশল পোহৰ
অপায় নাথাকে মুঠে'।

দেৱতা-বিহাৰ মাৰ্গ স্বৰ্গত ওপৰে,
তলত পৃথিবী নৰ ;
মাজত তাৰৰ পাতি ভুমুকনি মৰা
বিজুলী-বসতি-ঘৰ।

নৰৰ অসাধ্য যিবা, সাধে পচাৰতে
দিব্যজ্ঞানজ্যোতি মেলি,
ৰক্ষা কৰে মৰ্ত্ত্যলোক পথ পোহৰাই,
আত্মাৰ অপায় ঠেলি।

অযুত যোজন জুৰি ছিগা ব্যৱধান
বিজুলী শক্তিৰ কলে
নিমিষে চপাই ধৰে,—বাতৰি বেশেৰে—
নোকোৱা কথাৰ ছলে।

অসীম শকতি তাৰ নৰ-কৌশলত,
নিতে নৱ সৃষ্টি পাতে ;
কৌতুহল আগলই, বাঢ়েমানে আগ,
আগলই ৰিঙাই মাতে।

অনন্ত উন্নতি গতি, মহিমা অপাৰ,
সৃষ্টি জুৰি স্থিতি যাৰ,
তাৰে গতি, তাৰে কীৰ্ত্তি, মহাস্থিতি-ৰীতি,
হেৰা, বিজুলী, তোমাৰ।

অভাৰত উৎপন্ যতেক উন্নতি,
বিচাৰা তাকেই তুমি;
দেখাতে অভাৰ ঘন্ ভাৱৰেৰে ঢকা
দুখুনী অসম ভূমি;—

বিজুলীৰ আবিৰ্ভাব উদ্ধাৰ কাৰণ,
জলে ভাৱৰ ভেদাই,
অসম আকাশ জুৰি নৱ জেউতিৰে
দিয়ে পন্থা পোহৰাই।

প্ৰেৰণা

অজ্ঞান আন্ধাৰ ঠেলি,
জ্ঞানৰ পোহৰ বেলি,
জিলিকে পূৱত;
জিলিকা পাখিৰে উৰি,
বিস্তাৰে বসুধা জুৰি
দিব্যজ্যোতি যত।

হৃদিসৰোবৰ মাজে
আশাৰ পদুম সাজে,
মনৰ উলাহে;
ভাবৰ ভোমোৰা সৰে,
গুণ্ গুণ্ গুণ্ ৰৱে
ঘূৰিছে চৌপাশে।

মানস নিকুঞ্জ ঘুৰি,
কল্পনা পখিলা উৰি,
ফুৰে কি বিচাৰি?
সৌন্দৰ্য্য কাঁচলি মেলি,
জেউতিৰে কৰে কেলি,
উলাহ বিস্তাৰি।

চিন্তাসোঁত ধীৰে বলি,
মিলিছে কৰ্ম্মৰ থলি,
শতধাৰা হই;
কুল্ কুল্ কুল্ কৰি,
প্ৰেৰণাৰ সুৰ ধৰি,
বইছে নৰই।

সুৰত সজাগ হই,
শান্তিৰ আঁজলি লই,
প্ৰকৃতি কুৱঁৰী;
বিলাব খুজিছে ভৰে,
জীৱনী শকতি সৰে,
কৰ্ত্তব্য সুমৰি।

নিয়তি নিৰ্দ্দেশ পাই,
মলয়া কটকী যায়,
দুৱাৰে দুৱাৰে;
কাণে কাণে উৰি উৰি,
ৰিণি ৰিণি সুৰ ধৰি,
আৱাহন কৰে।

উঠাঁ উঠাঁ কৰ্ম্মীগণ,
স্বদেশৰ আশাধন,
মিলি ভাতৃভাৱে;
হাতে-কামে লাগি যোৱাঁ,
দেশসেৱা পণ লোৱাঁ,
প্ৰচণ্ড প্ৰভাৱে।

পিতৃভূমি উদ্ধাৰৰ,
মাতৃভাষা প্ৰচাৰৰ
যতেক যুগুতি;

তুলি লোৱা পোৱাঁমানে,
লক্ষ্য ৰাখি প্ৰাণ-পণে,
দেশৰ উন্নতি।

চেতনা উদিছে চোৱাঁ,
বল-বুদ্ধি-সাহ লোৱাঁ,
দেশৰ দুৰ্গতি
আজি—সমস্যাৰ দিনে—
দূৰ কৰাঁ, প্ৰতিক্ষণে ;
স্থিৰ কৰি মতি।

বন্তি

শুভদিন ভটীয়াই কালসাগৰক পাই,
মাৰ যায় আন্ধাৰি অসম ;
আঁৰলত ভাগ্যলক্ষ্মী নিৰৱে বিনায়, শুনাঁ,
—প্ৰাণে শুনা,—শুনাতে নিজম !

কতবাৰ চিপিয়ালে নিচলা সন্তান সৱে
জলাবৰ হেতু জ্ঞান-দীপ্তি,
উলাহী শলিতা চুহি, জ্বলিল বিবিধ বন্তি,
ৰাখিবৰ নহল যুগুতি !

পুনৰপি একেগোট ঠান্‌বান্‌ অসমীয়া
ঘৰভঙা ঈৰ্ষাভাব এৰি,
নিচলাৰ সাঁচতীয়া পকা তেল একোচলু
দিছে আহি ক্ষুদ্ৰ বেহী ভৰি।

উছাহৰ শলাকানি দিছে পাৰি হৃদয়ত
চুপি চুপি থাকাঁ বুলি জ্বলি,
যতকাল 'অসমীয়া' স্নুমাব নাম-গুৰি
—আকৰ্ষণী হেন্দোলনি মেলি।

দুখীয়াৰ ধূপ্‌-দীপ্‌, —ক্ষুদ্ৰ ক্ষুদ্ৰ বৰঙনি—
একেগছি আলো কৰি চোৱাঁ ;—
শোকে-চেপা মাতিৰীয়ে অযুত উছাহে দাঙি
জলা বন্তি হাতে তুলি লোৱা।

বন্তিৰ পোহৰ পাই, ভাগ্যলক্ষ্মী মিটিকায়,
সৌভাগ্যৰ বিৰিঙ্গে জেউতি ;
ভাৰতৰ এচুকত অসমৰ ভাগ্য জ্বলে,
—সন্তানৰ উলাহিত মতি !

অতীত গৌৰৱৰাশি দেখি পুনু চউপাশে,
সঞ্জীৱনী শক্তিলাভ কৰে ;
সোৱঁৰণী-উদ্গনি পাই প্ৰাণে প্ৰেৰণাত
কৰ্ম্মীগণে ক্ৰমে আগবাঢ়ে।

যেয়ে য'তে আছাঁ ৰই দুখনীৰ ভাগ্যধৰ
নিমাখিত যত নাতি-পুতি ;
গাৱেঁ-ভূঞে চুকে-কোণে, লোৱাঁ তুলি একেচিপে
হাতে-হাতে বন্তি একো এটি।

সাধনা আৰু সিদ্ধি

সাধনাৰ থান্‌ ক'ত ?—
তীৰথ, কন্দৰ ?
মজিদ, মন্দিৰ, মঠ,
দ'ল, গিৰ্জ্জাঘৰ ?
নামাজ, কীৰ্ত্তন, জুম্মা,
ঈশ-আখ্যানত ?
পাদ্ৰী, মোল্লা, কথকৰ
তত্ত্ব-ব্যাখ্যানত ?
পজা, বন, গছতল,
সভা, সম্মিলন ?
সেৱা-চৰ্চ্চা সাহিত্যৰ,
স্বদেশ-পূজন ?

*

নিৰূপিত থান্‌-থিত্‌
নাই সাধনাৰ ;

নাথাকে আৱদ্ধ ক'তো
পুণ্য সিদ্ধি তাৰ।—
পাহৰিম য'ত 'মই',
পাহৰিবা 'তুমি',
পাহৰিব 'তেওঁ', কৰি
লক্ষ্য জন্মভূমি,
সবাৰো সমষ্টি য'ত
থিতাপে অকণি,
সাধন সিদ্ধিৰ থান
সেই হিয়াখনি।

উষা

নিশা অৱসানপ্ৰায়। নিজম জগতে
লাহে লাহে লভিছে চেতনা;
ভাগৰ টোপনি মায়া ক্ৰমে আঁতৰিছে,
সুমৰি উঠিছে প্ৰাণবীণা।

সপোনৰ লীলা-খেলা প্ৰকৃতিয়ে ভুলি
ধৰিছেহি দিঠকৰ মোৰ,
দৃষ্টিহীন সজাগেৰে উমানত শুনে
নিজানত উঠি অহা স্বৰ।

ভাবত পূৰ্ব্বঠ্ হল সৃষ্টিৰ অন্তৰ
ৰাঙলী ৰহণ তাৰ চিন;
ৰূপান্তৰ তাৰে মাথোঁ শোণিত সাগৰ,
প্ৰান্ত তাৰ অনন্তত লীন।

মথিছে সংসাৰ-সোঁত বিশ্ব ৰচোঁতাই
তেজ-পানী ক্ৰমে ঘন্ হয়;
প্ৰকৃতিৰ কপালত সেন্দুৰৰ ফোঁট,
—পূবশিৰে অৰুণ উদয়।

কৰুণ জেউতিকণি উষাৰ কিৰণ,
তেজী জ্যোতি অৰুণৰ ভাতি,
পৱিত্ৰ মিলন ফলে শান্তিময়ী প্ৰভা
দিনৰ পোহৰ একোছাটি।

ধৰম কৰম পাচে মৰম বুকুত,
সন্তানৰ জিৰণিৰ ৰীতি;
সাগৰ বুকুত খেলে পুণ্যশোভা ধৰি
অৰুণৰ অনুৰূপ সিটি।

দুটি ৰূপ এটি হয় সৃষ্টি-পাতনিত,
মিলনত লয় অভগন্;
প্ৰকৃতি কুমাৰে তাৰে বিলায় চানেকি,
- পৃথিবীত উষাৰ হৰণ।

পূবত উদয় তোৰ, মিলনৰ যোৰা
পশ্চিমত সংসাৰী শয়ন;
উষাদেৱী-অনিৰুদ্ধ মানৰ মূৰতি
আদৰ্শৰ বিশিষ্ট প্ৰমাণ।

এয়ে সৃষ্টি উৎপতি, এয়ে আৰম্ভণ,
সংসাৰৰ যত ৰীতি-নীতি;
ইয়াৰে চানেকি উঠে নৰ-সংসাৰত,
সাধেমানে যত উৎনতি।

কৰমৰ অনুগামী কীৰ্ত্তিৰ নিচান,
পিচলই ধাউতি সদায়;
উৰেমানে উলাহত, জাতীয় জীৱন
উন্নতিৰ লাচত উধায়।

যাত্ৰী-নাও যাও যাও অপেক্ষি লগৰী,
যাতৰাৰ শুভক্ষণ গণি,
ৰিণি ৰিণি দেখা যায়;—আহে ভটীয়াই
লুইতৰ পানীধাৰ মণি।

ভাটীভাগে আছেমানে সজাতি সঙ্গতি
লগেভাগে যাব ভটীয়াই;

পছিমীয়া বেহা লই ঘূৰিব সন্ধিয়া
জননীক দিবহি গতাই।

কতনা সন্ধিয়া-বেলি দিনে মাৰ যায়,
নিতে নৱ জনম কাৰণ;
নেদেখা ভাগৰ নৰে দিনে দেখা পায়,
নিতে নৱ উষাৰ হৰণ।

দুপৰ-সূৰুয আৰু মাজনিশা ৰাতি
বিপৰীত উৎপতি লয়;
দিনে দুই অৱসান, নিজম সংসাৰ
দুটিবাৰ সচেতন হয়।

জগতৰ উদ্‌গতি গতি অবিৰাম
সৃষ্টি-স্থিতি আছে যত দিন;
অমৰণ অভগন উষাৰ মিলন
আজীৱন উন্নতিৰ চিন্।

অসমৰ কপালত উষাৰ জনম
ভূভাগত সৱাতকৈ আগ;
আগ হই অসমীয়া যাত্ৰী যতমানে
লোৱাঁগই যত আগভাগ।

সংসাৰ-ধুমুহা

মুকলি হিয়াৰ   মুকলি দুৱাৰ
কত ভাব আহে যায়,
কল্পনা লগৰী   নিকুঞ্জ বিহাৰী
নিফুট বাঁহীটি বাই।

আকাশ কুসুম,   মৰ্ত্তাৰ কুটুম,
একাকাৰ কৰি উৰে;
অমৰ বাঞ্ছিত   স্বৰ্গৰ সঞ্চিত
সম্ভাৰ সম্ভোগ কৰে!

অতীত ভবিষ্য,   চকুৰ অদৃশ্য,
দুখনি সুন্দৰ থান;
স্মৃতিৰ পথত,   কল্পনা ৰথত
জোৰেহি মিলন তান।

সোণঁৰণী পট,   আনন্দ জগত,
মধুৰ মিলন কথা;
ভবিষ্য মূৰতি   আশাৰ ছবিটি
মৰমে মৰমে গঁথা!

পাহৰা সুমৰি   বিমানত চৰি
উটি বুৰি ফুৰে মন;
আকাশী স্বপ্নৰ   সাজি সুখঘৰ
আকুল উদাস প্ৰাণ;

নিৰ্ম্মল আকাশ   কত হাবিয়াস,
পিন্ধিব মুকুতা মণি;
মিলি অপেচৰা   আপোন পাহৰা
সুখ-গীত গোৱা শুনি।

প্ৰকৃত প্ৰমাণি,   ভাবে ভাব টানি,
ওপঙি ফুৰিব দেখি,
ঘাই ভাব যুৰি   ম'ৰাচালি ধৰি
উৰাও বিচাৰি সখী।

অৱশ শিথিল,   হিয়া জিল্‌মিল্,
নাই গাত সাৰসুৰ,
জীৱন্তে নিৰ্জ্জীৱ   জীৱাত্মা সজীৱ
হয় আপুনি আতুৰ!

অকলশৰীয়া   আত্মা মতলীয়া
আছোঁতে সমস্যা চাই,
সংসাৰ-ধুমুহা,   নাই উৱাদিহা,
আহে অপায় চপাই!

মনেপতা ঘৰ শূন্য আকাশৰ
আলাসত পতা চাং ;
নিমিষে নেদেখা হয় দিব্যৰেখা
পৰেহি দুৱাৰ-ডাং !

আতমা বিমোৰ, উৰা ভাববোৰ
আহে ঘূৰি চাপিকুচি ;
পুনৰপি থিতি নৰৰ বসতি,
এৰা-ঘৰ হয় শুচি।

মুকলি হিয়াৰ জপাই দুৱাৰ,
ক'ৰ ভাব যায় কেনি !
ঢাকনি চকুত, বসুধা বুকুত ,
—এয়ে সুখ, সামৰণি।

উত্থান-পতন

অনন্তৰ পিচলগা অন্তহীন কাৰ্য্যগতি,
আৰম্ভণ, সামৰণ, ঘূৰি ঘূৰি জন্ম-ৰীতি ,
মৰণতে জনমৰ হয় নিতে উতপন,
উষা, সন্ধ্যা চিন্ তাৰ জিলিকিছে অভগন।

আহিল পুৰ্ব্বতী নিশা উষাৰ জাননী মেলি,
উদিল কৰ্ত্তব্য-ৰবি আন্ধাৰ এলাহ ঠেলি ,
শুভক্ষণে শুভযাত্ৰা ধৰিছে দুনাই চোৰাঁ,
হিয়াভৰা উলাহেৰে দেশ-হিত-ব্ৰত লোৱাঁ।

হিয়াত উপচি পৰা উন্নতি আশাৰ ধল,
পৃথিবী ঢৌৱাই কৰে দশোদিশ টল্‌মল্ ,
আগবঢ়া জগতত নাই কোনো পিচ্‌পৰি,
থকা নাই কোনো আজি এলাহ সাবটি ধৰি

দুপৰে জোৰাঁৰ তুলি জগতৰ মন-প্ৰাণ
উদ্দাই নিয়ে দাঙ্গি উন্নতিৰ কৰি গান ;

আলাসতে লাখ হিয়া যায় ক্ৰমে আগবাঢ়ি,
দুহাতে চপাব বুলি লাভালাভ কাচিপাৰি।

সন্ধিয়া কৰমী ৰবি বহিব যেতিয়া গই,
এফালে দিনৰ যত কৰ্ত্তব্য সমাপি থই ;
সংসাৰ বেহোৱা নৰো বহিব গণনা ধৰি,
লাভৰ ঘৰত যিবা পালে ৰত্ন যত্ন কৰি।

ইফালে যেতিয়া ৰাতি লাহে লাহে আহে চাপি,
সিফালে সজাগ কৰে সূৰ্য্যে দিগন্ত ব্যাপি ,
পুৰণি ধৰণী নৰে জিৰণিৰ পাটী পাৰে,
নতুন ভাগত নৰে পালে ব্ৰত থাকি সাৰে।

ইফালে পুৰ্ব্বতী যেই, সিফালে সন্ধিয়া চাপে,
উষা-যাত্ৰা পুৰণিত, নতুনে জিৰণি মাতে ;
তৰ-পৰা আশা-ধল দুনাই উছলি উঠে,
দিনৰ জাগ্ৰত ভাব সিফালে ক্ৰমাৎ টুটে।

ঘূৰি ঘূৰি আহে যায় জীৱনৰ ধ্ৰুবতৰা,
দিনে-দিনে উঠা-পৰা সৃষ্টি-পাতনিৰেপৰা ;
চলিছে ই সৃষ্টি ৰীতি সৃষ্টিতে জনম লই,
মিলিছে ই সৃষ্টি-নীতি সৃষ্টিতে বিলয় হই।

পৰিতাপ

অসাৰ সংসাৰ হাঁয়, অথন্তৰ সমুদায়,
মোহময় মায়াময় মাথো ;
আজি গঁথা মালাধাৰি কালি যায় জহি সৰি
নৰোল্লাহে আৰু ধাৰি গাথো !

ইদৰে কতনা আৰু বান্ধিম পানীৰ লাৰু,
ইহ-পৰকাল হেতু হাঁয় ;
দেখাতেই দিন চুটি, আয়ুষ্ গইছে টুটি,
পাথেয় সমল একো নাই !

ভাঙ্গিলোঁ আৰ্জ্জিত ধন, নাৰ্জ্জিলোঁ ধাৰ্ম্মিক মন,
নহল আৰ্জ্জন দান-পুণ্য ;
চৰিত্ৰৰ নাই বল, স্বাস্থ্যৰো ভাঙ্গিলোঁ কল,
ভদ্ৰ, নম্ৰ, সাধু গুণ শূন্য !

আৰু যিবা সজকৰ্ম্ম, সাধনত লাভ ধৰ্ম্ম,
দয়া, ক্ষমা, প্ৰেম, ভক্তি কথা,
হিয়াত শকতি নাটি, তাকো যে পেলালোঁ কাটি ;
জীৱনৰ গছ মোৰ লেঠা !

সংযমৰ বল হেতু নাবান্ধিলোঁ মন-সেতু,
নকৰিলোঁ ৰিপু আত্মবশ ;
সংসাৰী ৰোগীয়ে হাঁয়, লোভত অপথ্য খাই
বঢ়ালোঁ বিকাৰ অপযশ !

নীতিহীন পাই মোক পাপৰ বাঢ়িলে ভোক,
গৰাহত সাৰোগত কৰি,
ভক্ষিলে যশস্যা মোৰ, সমূলি পেলালে ওৰ,
নিলে মোৰ সমূলক্ষে হৰি !

এচিকটা মেৰ অই, আছিল নিলগ হই,
নিলগতে-মাৰ যোৱা কথা ,
অপায় ধুমুহা পাই, বাঢ়িল নিমিষে হাঁয়,
বঢ়ালেহি প্ৰাণে মোৰ ব্যথা ।

বগলীৰ পাখি যেন, আছিল জীৱন কেন,
সংসাৰৰ সাগৰত ভাহি ,
বিন্দু বিন্দু পাপে চুই, পুণ্যভাগ নিলে ধুই,
নাজানিলোঁ কোন্ চেগে আহি !

তথাপিতো পুনৰপি ধৰমত মন সঁপি,
প্ৰাণপণে দিয়া হলে বল,
পুনশ্চ নৈতিক বলে তাৰিলেহেঁতেন ভালে,
উদ্ধাৰৰ আছোঁতে সমল ।

কিন্তু কি যে নৰাধম, আপুনি মাতিলোঁ যম,
নিৰাশাত পাৰি দিলোঁ মন ;
যি কেৰি আছিল হাঁয়, নীতিৰ আদিকা ছাই,
গল ভাহি সিও শেষ-ধন !

আছে মন, বল নাই, এবে মই নিৰুপায়,
গোন্ধহীন ৰূপ মাথোঁ সাৰ ;
ভৱ-তৰী পাৰ কৰোঁ, এনে বল নাই আৰু,
অন্তিমত নেদেখোঁ নিস্তাৰ ।

এতেকে হে দীনবন্ধু, অপাৰ কৰুণা-সিন্ধু,
পতিত পাৱন শিৱময় ;
পাতকীৰ পৰিতাপ, শুনি দূৰ কৰা তাপ,
চৰণত দিয়াঁ হে আশ্ৰয় ।

আকাশী কটকী

ক'ৰপৰা আহে উৰি, উদ্দেশি ক'লই,
আকাশী বাতৰি ভাৰী ;
শূন্যে শূন্যে দৃষ্টি তাৰ ওপঙি আহিছে,
মুকলি জগত জুৰি ।

কতনা বিৰহী জানো আকাশ তলত,
পৰিছে চকুত তাৰ ;
পৰৰ দুখত দুখী, নিস্বাৰ্থ প্ৰেমিক,
প্ৰাণ জানো তোলপাৰ !

যাকে য'ৰ লাগে যেন যাচি সি বিলাব
বিৰহ-বতৰা-মউ ;
অবুজ বুলিবে জানো তললই চাই
তাকেহে সুধিছে ঔ !

সুধিবৰ আছে মোৰো সিপুৰীয়া কথা,
—এদোপ্ উধাব ধৰোঁ ;

হুতাশিন প্ৰাণ হাঁয়, হেঁপাহ-ভৰত
উলটি মাটিত পৰোঁ !

মনতে মৰহি যায় মনৰ ধাউতি,
নিমিলিল সমিচাৰ ,
স্বৰ্গত 'গোহাঞিদেৱ' * আছে কিনো ভাৱে
নাপালোঁ সম্ভেদ্ তাৰ !

উৰি ঘূৰি উঠে সোৱা স্বৰ্গক ধিয়াই,
বতৰা বাহক পখী ;
বাৰ্ত্তা দিয়া-লোৱা হলে, নামিব হুনাই,
--সুধি চাম পুনু দেখি ।

জুকিয়াই থওঁ মোৰ সন্তাপ বিলাই,
পোনা, তোৰ বিৰহত ,
ভাঙ্গি কম কটকীক উদিয়াই হিয়া,
পালেমানে ওচৰত ।

অস্ফুট ভাষাৰ সেই ওলটা-বাতৰি,
শুনি প্ৰাণ হব জুৰ ;
সিপুৰীত পুত্ৰৰূপে পুনু পাওঁ যেন,
—ইমানেই বাঞ্ছা মোৰ ।

কৰ্ত্তব্য জ্ঞান

পুৱাতে সৌন্দৰ্য্য মেলা পূবালী মেঘত,
সুমৰি সজাগ বিশ্ব প্ৰকৃতি বুকত ।
হালি-জালি গছ-লতা জপ-মন্ত্ৰ স্মৰে,
কুলু কুলু তটিনীয়ে ঈশগীত ধৰে ।
পখীয়ে ডালত পৰি ধৰেহি সঙ্গীত,
সৃষ্টি-গুণ ৰসময় অতি সুললিত ।
পাৱন পবনে ধীৰে ধীৰে ধীৰে বই,
যতেক পাপৰ ধূলি ঠেলি দূৰলই,
বিশুদ্ধ বিশাল বিশ্ব কৰেহি আপুনি,
পৰৰ দুখত দুখী দয়াসিন্ধুমণি !
সোণালী ৰথত চৰি সূৰুষ কোৱঁৰে,
'কৰ্ত্তব্য' নিয়তি-আজ্ঞা জগতে প্ৰচাৰে ।
লাহে লাহে দিনমণি দীনদয়াকাৰী,
আজ্ঞাধীন দেৱদূত, নিজব্ৰত স্মৰি,
জ্ঞানৰ জেউতি মেলি, --সোণোৱালী ৰেখ,-
নিয়তিৰ গতি ধৰি ভ্ৰমে বহু দেশ ।
সৰু বৰ সুখী দুখী নকৰি বিচাৰ,
সৰ্ব্বত্ৰে সমান ভাৱে কিৰণ বিস্তাৰ ;—
হিমালয় শিখচূড়া যিৰূপে শোভিত,
গভীৰ গহ্বৰ হাঁহে একেটি হাঁহিত,
ভূপতি ভৱন আৰু দৰিদ্ৰ কুটীৰ,
উভয়ে সমান ভাগী স্বৰ্ণ জ্যোতিৰ ;
ইভাৱে ঘোষণা কৰে ঘূৰি অবিচ্ছেদ, -
'ঈশ্বৰ-মন্দিৰ মাজে নাই ভেদাভেদ' ।
স্বাৰ্থত্যাগী গছ লতা আপুনি তাপিত,
ছাঁয়া দি জুৰায় কত তাপিতৰ চিত ।
অবিৰাম গীত গাই দয়াৱতী নই,
সন্তাপীৰ শোক-তাপ হৰিছে নৰই ।
কতনা গায়িকা পখী ভিন্‌ভাব ভুলি,
ধৰিছে মধুৰ গীত পঞ্চমত তুলি ;
অবুজ ভাষাৰ তান অস্ফুট কথন,
ভাবুক প্ৰাণত লাগে অমিয়া বচন ।
পৱন অমিততেজা উগ্ৰ দণ্ডধাৰী,
মুহূৰ্ত্তে বিনাশে সৃষ্টি প্ৰলয়-সংহাৰী ;
কিন্তু কি যে নিয়তিৰ অভেদ্য কৌশল,
ভৃত্যভাৱে চিৰকাল সেৱে জীৱদল ।
সন্ধিয়া-জেউতি মেলি মাৰ যায় ৰবি,—
কৰ্ত্তব্য-সাধন-সুখ,—মনমোহা ছবি !
লগে-ভাগে গছ-লতা নিজম পৰিল ;
নিৰৱে ডালৰ পখী বিশ্ৰাম লভিল ;
পথিকে জিৰণি ললে চাপি গছতল ;
পৱন তটিনী দুয়ো শুশ্ৰূষাতে ৰল ।

* স্বৰ্গীয় সিদ্ধেশ্বৰ গোহাঞি, এম-এ, বি-এল, ডেপুটী কমিচনাৰ, শিৱসাগৰ ।

বিশ্ব-বীণ্

ৰবাঁ, ক্ষন্তেক নিৰলে। প্ৰকৃতি বুকুত
শুনা, নিস্ফুট স্বৰেৰে,
সুৰতে মিলাই সুৰ নিয়তি বীণাৰ
কোনে জানো সুৰ ধৰে!

চউপাশে ঠৰ্‌লাগি পৰ্ব্বতৰ শাৰী
কি জানো কি ভাবি-গুণি
লাগিছে তবধ,—অহ, এফলীয়া হই
কিনো দৰে আছে শুনি!

ডালত পখীটি পৰি ডিঙ্গি ভাঙ্গি ভাঙ্গি
কি জানো কি শুনে হাঁয়,
ভাবত বিভোল,—যেন তাৰে কি ৰাগীয়ে
ধৰি, চকু পিৰিকায়!

গভীৰ নিজম গুহা, গহীন সাজেৰে,
বুকুত সাবটি হাত,
একেঠৰে আছে শুনি, নিজান নিটাল,
সাৰস্বৰ নাই গাত!

একেটি তানতে মিলি আৰু এটি তান
উঠে, বিশ্ববীণ্ এৰি;
ইবাৰ বীণাৰ সুৰ বুজোঁ বুজোঁ যেন,
স্বৰ্গীয় বুজনি ধৰি!--

মাতে যেন আগলই, কিজানো কলই
আতমা উৰিব খোজে,
মুখত মুফুটে কথা, নিৰলে শুনিয়ে
হাঁয়, কিজানো কি বুজে!

উত্তাল তৰঙ্গপ্ৰায় সৃষ্টিতত্বজ্ঞান
দিয়ে গহীন ঝঙ্কাৰে,
আকাশ পাতাল জুৰি হিয়াভেদী ভাবে
শুনা, প্ৰতিধ্বনি কৰে!

জগতৰ প্ৰাণ লই একেটি মুঠিতে
অহ, বিশ্ব-ৰচোঁতাই
ঐকতানে দিয়ে তান, উলাহৰ সোঁত
চোৰাঁ, বলিছে ঢৌৰাই!

প্ৰাকৃতিক সম্ভাৰ

গভীৰ গহ্বৰ ভেদি অত্যুচ্চ বিৰিখে
সমথল সমানত হই একাকাৰ
ধৰে শোভা বিতোপন! আৰেলি বেলিকা
হেঙ্গুলি ৰহণে যেবে তিৰ্‌বিৰ্ কৰি
শোভে শীতল পাটটি,—চেঁচনী বুকুৰে--
হাবিয়াস,—লওঁ শান্তি ক্ষন্তেক বাগৰি,
অতৃপ্ত সুখৰ ভোগ ভুঞ্জো প্ৰাণভৰি!
আলাসত ভ্ৰমি ফুৰা মেঘদূতগণে
উলাহত উৰি ফুৰে বাতৰি বিলাই
অযাচিতে কাৰোবাৰ, আপোন-পাহৰা
কৰে কাৰোবাক যাচি যোগাই বাতৰি;
চাপিলে ওচৰ তাৰ সুকৰুণ হিয়া
পমি যায় আবেগত,—ৰহস্য অপাৰ!
দূৰণিৰ দৃষ্টিৰেখা, মন-চিত-হৰা,
চাওঁতে চাওঁতে, অহ, শ্যামা প্ৰকৃতিয়ে
নিশ্বাস নিৰোধি যেন প্ৰাণ কাঢ়ি লয়!
আৰু কত সৌন্দৰ্য্যৰ গুপুত সম্ভাৰ
উদিয়াই শাৰী শাৰী পাতিছে পোহাৰ,—
কিনোতা মানৱ প্ৰাণ, বেচোঁতী প্ৰকৃতি।
অৰক্ষিতে আছে পৰি;—সাধ্য কিন্তু কাৰ
লয় তুলি কিবা এটি, সলনিত তাৰ
নেবেচিলে মন-প্ৰাণ,—একমাত্ৰ বেচ্।

ব্ৰহ্মপুত্ৰ

মানসৰ গৰ্ত্ত এৰি ব্ৰহ্মকুণ্ড ঘূৰি,
কটালাঁ কতনা কাল পাথেয় বিচাৰি;
সাগৰ উদ্দেশি পাচে কৰিলাঁ প্ৰয়াণ,
কতনা পৰ্ব্বত লঙ্ঘি বাধা অগণন্।

কত যুগ একেবাহে লই পূজাভাগ
শোধাইছা বই-পৰা পুণ্য ব্ৰহ্মযাগ,
কতনা সৃষ্টিৰ কথা, –উঠন পতন,
কতনা বুৰঞ্জী তথ্য বুকুত মগন।

আতিকে পুৰণি তুমি বৃদ্ধ যোগীবৰ,
তথাপি শিশুটি সদা,—‘পুত্ৰ’ নামধৰ।
কতবাৰ যৌৱনৰ ভুগিছা বিলাহ,
বছৰে বছৰে ঘূৰি বাৰিষা উলাহ।

যি বলে ৰাখিছা ধৰি অমৰ যৌবন,
—নিছিগা ভক্তিৰ সোঁত জলন্ত প্ৰমাণ।

চন্দনগিৰি

স্বৰ্গৰ জখলা এই পুণ্য গিৰিবৰ,
নিৰ্ম্মিলে কি সুকৌশলে বিশ্ব-খনিকৰে।—
সৌন্দৰ্য্যৰ ৰূপৰাশি, কৰুণাৰ প্ৰভা,
প্ৰেমৰ আবেগ ৰাগ, সম্ভোগৰ সুখ,
আৰু এক আসক্তিৰ পুণ্য আকৰ্ষণ,
সবাকো সমানে সানি সৃজিলে মৰ্ত্ত্যত,
পঞ্চামৃত লাৰু, অহ, অৰণ্য মন্দিৰ।—
চন্দনগিৰিৰ নাম অগৰু চন্দনে
ৰাখিছে উজ্জ্বল কৰি পূব ভূভাগত,
অনুপম ৰূপ তাৰ, লাৱণ্য জেউতি,
বখানিছে মুক্তকণ্ঠে দেৱতা-কিন্নৰে,
যোগী, ঋষি, মুনি যত তাপসকুমাৰ,
বিমোহিত নৰলোক ৰূপলীলা চাই।
ইয়াৰে সৌন্দৰ্য্য-সোঁত ৰই-বই গই
ভৈয়ামত প্ৰতিভাত হয় ঠায়ে-ঠায়ে।
যিফালে ঘূৰাওঁ আঁখি তাতে ৰই যায়,
নপলায় তৃপ্তি হাঁয়, হেঁপাহ প্ৰাণৰ,
চাওঁমানে বাঢে তৃষ্ণা, পাহৰোঁ সংসাৰ।
তলত কুণ্ডিন্ নীৰ, আতি নিৰমল,
প্ৰকৃতি-দাপোণ, অহ, পতা আছে কেনে!
ওপৰৰ সৌন্দৰ্য্যৰ প্ৰতিবিম্বে তাত
হাঁহিছে নাচিছে হাঁয়, আপোনাকে চাই।—
নাচি উঠে মন মোৰ তাৰ চেৱে-চেৱে,
প্ৰকৃতি বুকুত প্ৰাণ ক্ষন্তেক জুৰাই।

* * * * *

ইয়াতে এদিন দেহি, দময়ন্তী সতী
উঠিছিল আহি আহি পথ হেৰুৱাই,
চিন্ তাৰ এতিয়াও মাৰ যোৱা নাই,—
শিল বন গছ-লতা আটাইটি মিলি,
সাক্ষী দিয়ে বিশেষণে সবিশেষ কই।
কুণ্ডিনৰ গুৰি এয়ে, বিদৰ্ভ চৌৱাই
পৱিত্ৰ কৰিছে যি, সিও সাক্ষী দিয়ে
মহাসতী দময়ন্তী কেনেকই আহি
উভৈৰিল কুণ্ডৰ তীৰত, ভ্ৰমি বহু
গিৰি-গুহা, দেশ বন, পতি হেৰুৱাই,—
ইয়ে হে লগালে বাট পিতৃ ৰাজ্যলই।
আৰু, আৰু, কৃষ্ণদেৱে ৰুক্মিণীদেৱীক
উদ্ধাৰি এদিন ইয়াতেই লয় থিত্
যাওঁতে উলটি, ইয়াতে জিলিকে সোঁৱা
সমাধি মন্দিৰ স্মৃতি ভীষ্মক ৰজাৰ,
মিলিলে পঞ্চত্ব য'ত মহা ৰাজৰ্ষিৰ।

শান্তি আৰু সাধনী

শান্তি।—ফুলত শিলৰ ৰেখা।
নৰজে তোমাত কঠুৱা ভাবনা সখি!
ঢোপাকলি তুমি, কিয় ভাবাঁ কীটে-ধৰা
ফুলৰ দুৰ্দ্দশা!
সাধনী।—দেহি অই,
চোৱাঁ, কেনে মিলিছে থিতাতে!—
চোৱাঁ, কেনে ফুলপাহি আউলী-বাউলী,
কলিটিৰ মুখ চাই আছে ঠৰ্ লাগি।
চোৱা নাই নিজলই,—নিজ সুখ-দুখ,—

চাইছে মাথোন কলিটিৰ সুখলই,—
যায় যেন দিন তাৰ এনুৱা সুখত।
ফুলিলেই, সখী অই, হব তাৰো দশা
বাউলী পাহিটিপ্ৰায়। তাকে হে গুণিছে,
পৰৰ সুখত পমা আজলীটি দেহি!
কিন্তু, সখি, পাহিটিৰ নুপুৰে কামনা,—
ঢোপাকলি ফুলিব কালত, দশা তাৰ
হব, জানঁা, পাহিটি যেনুৱা। মেলোঁ-মেলোঁ
পাহিকিটি মেলিব যিদিনা, সিদিনাই
কীটে আহি লব থিত্, কৰিব ঘৃণীয়া,
নৱৰ জেউতি তাৰ লুকুৱা-হাঁহিৰ!
সৃষ্টিৰ ৰীতিয়ে' এই,—জন্ম, বৃদ্ধি, ক্ষয়,—
'চিৰকাল কাৰো দিন সমানে নাযায়'।
বাঢ়েমানে আগলই বেঁকাবেঁকি বাট,
আৰু কত আওপাক ভৱ-সংসাৰৰ
পাবলই আছে জীৱনত। ভাবোঁ তাকে,
পাওঁ বুলি তত্ব কিবা সৃষ্টি-কৌশলৰ।
শান্তি।—কঠুৱা পুৰুষ-ভাব!
—নোহে নাৰী-নীতি।
সাধনী।—পুৰুষ কঠুৱা বুলি
ত্যজ্য নোহে সিটি। কঠিনে কোমলে মিলি
পুৰুষ-প্ৰকৃতি জানঁা, সৃষ্টি স্বৰগত,
তাৰে আহি নৰ-নাৰী, বিশ্ব মৰতত।
এতেকে, কঠুৱা বুলি নিলগোৱাঁ যদি
পুৰুষ ৰতন, প্ৰকৃতি তিষ্ঠিব ক'ত?
গছত বগাই সউ, চোৱাঁ, লতাজুপি,
কোমলে কঠিনে কেনে হইছে মিলন!
ইটিয়ে সাবটি ধৰি সিটিক জুৰায়,
সিটিয়ে শৰীৰ পাতি ইটিক গুৱায়।
এটি সদা আনটিৰ জীৱন-সাৰথি;—
তাৰে ফল মাথো এই সংসাৰ-কানন।
এয়ে জানঁা, আহি সংসাৰৰ। লতা হই
ৰ'দ-তাপ গুচায় গছৰ; সেইৰূপে
নাৰী হই পুৰুষৰ শোক-তাপ-দুখ,
অধৰ্ম্ম, অনীতি আৰু কুটিল স্বভাৱ
আমিও গুচাব লাগে।—এয়ে নাৰী-নীতি

* * *

শান্তি। এটি কথা সখি! মন কৰি আছোঁ মই
দিন-চাৰিপৰা, সঙ্গীতত আতিকই
বাঢ়িছে ধাউতি তোমাৰ তীব্ৰ বেগেৰে।
সাধনী।—সঁচা সখি!
সঙ্গীতত বাঢ়িছে ধাউতি।
কিন্তু কিয়, কিবা ভাবে, টানিছে কলই,
নোৱাৰোঁ বখানি কব! যিভাবে টানিছে
এই বিশ্ব-ব্ৰহ্মাণ্ডক শূন্যে শূন্যে তুলি;
সেই ভাবে টানে মোৰো ক্ষুদ্ৰ হৃদয়ক
কি জানো ক'লই! নাথাকাঁ যেতিয়া তুমি,
নুশুনেঁা সঙ্গীত, তেতিয়া চাপেহি কাষ,
কৰে বিয়াকুল, গুপ্ত এটি ভাবে ধৰি;
নোৱাৰোঁ ফুটাব তাৰ আধাফুটা ভাব,—
কিবা নাই, কিবা লাগে, নুবুজো আপুনি,
কৰে মন উগুল-থুগুল; এটি ভাব
স্বৰগৰ, ইটি মৰতৰ; দুয়ো যেবে
দুই ভাৱে কৰে টনাটনি, তোলপাৰ
অন্তৰত কিযে কেনে কৰে, সাধ্য নাই
প্ৰকাশোঁ ভাষাৰে! মৰ্ত্তৰ ভাবনা যিটি
ধৰিছোঁ ভাবত,—হিয়া-দিয়াদিয়ি তাৰ
উদ্দেশ্য মহান্। কিন্তু হায়, বুজা নাই,
কাৰ হিয়া কোনে দিয়ে কাক্? সপোঁ বুলি
আধা হিয়া আছোঁ সাজু হই, পাওঁ যদি
মিলনত বাকী আধা তাৰ।
শান্তি।—হব লাভ আধা সেই।
নোৱাৰি তৰিবচোন্, সেই লাভ লই
ভৱ-সংসাৰত?
সাধনী—নুবুজিলাঁ, সখি, হায়,
ভৱ-সংসাৰত আছে যদি তৰিবৰ
যথাৰ্থ যুগুতি, জানিবাঁ নিশ্চয়, হেৰা,

ধৰ্ম্ম হে আচল বল জন-সমাজত
সহায়-সাৰথিহীন দুখী তৰিবৰ।
আৰু, জানাঁ, সখি, নবহে যদ্যপি ৰতি
নিয়তি প্ৰেমত, মিছা সব প্ৰেম-ৰাগ
নশ্বৰ দেহাত।

শান্তি।—বুজোঁ, সখি!
সঙ্গীতত পমে মন-প্ৰাণ;
শুনোঁতে যি তৃপ্তিলাভ, গাওঁতে দুগুণ।

সাধনী।—কি দিম উপমা!
কোকিলৰ কণ্ঠ জিনি
গোৱাঁ যেবে তুমি হৃদয় পমোৱা গীত,
পাহৰোঁ সংসাৰ, পাহৰোঁ আপোন-পৰ,
বিশ্ব-প্ৰেম বইপৰি কৰে বিমোহিত।
সঙ্গীতত, হেৰা সখি, আছে কি মোহিনী,-
চিন্তা-ভাব, শোক-তাপ, কেনিবা পলাই
অযাচিতে দিয়ে এৰি সন্তোষক ঠাই!

শদিয়া

এয়ে সেই কীৰ্ত্তিস্থল;—
ইয়াতে এদিন চুটিয়াৰ আদিৰাজ
ৰত্নধ্বজপাল হইছিল বিমোহিত
প্ৰকৃতিৰ ৰূপলীলা চাই। পাঙ্গিছিল
ইয়াকেই ৰত্নপুৰ নগৰৰ ভেঁটি।
কিন্তু, কি যে বিধি-বিড়ম্বনা,—নগৰৰ
ভেঁটি লই উঠিল মৈদাম! -মহাৰাজ
ৰত্নধ্বজে প্ৰিয়পুত্ৰ এটি ৰাখিছিল
কমতাপুৰত গই, শিক্ষাৰ উদ্দেশ্যে,
অকালত কাল হল সেই কোৱঁৰৰ।
কমতা-ঈশ্বৰে পাছে অতি যতনেৰে
পঠিয়ালে সন্তানৰ শৱ পিতৃলই,
যুগুত সমাধি হেতু। মৰ্ম্মাহত হল
ৰত্নধ্বজ পুত্ৰৰ শোকত। ভগ্ন হল
মনোৰথ, মনৰ উদ্যোগ 'ৰত্নপুৰ'
স্থাপনৰ হেতু। নগৰৰ সলনিত
পালবংশী কোৱঁৰৰ সমাধিৰ স্থল
হল এই ঠাই। তদৱধি খ্যাত হল
'পাল-শৱ-দিয়া'—'শদিয়া'ৰ আঁতিগুৰি-
শ্মশানৰ নাম। সেই হন্তে সুৰক্ষিত
মৈদামৰ ভেঁটি; পিপৰা পৰ্য্যন্ত তাত
নোৱাৰে পশিব।

সৈনিক সঙ্গীত

আহাঁ আহাঁ ভাই, সকলোটি মিলি
জনম ভূমিৰ উদ্ধাৰ সাধোঁ,
জনম ভূমিৰ উন্নতি অৰথে
সন্তানে জীৱন উছৰ্গা কৰোঁ।

এতে অসমৰ এছোৱা যৱনে
বলেৰে দখল কৰিছে চোৰাঁ;
একে অসমীয়া কামৰূপী প্ৰজা
দেখিছোঁ নিৰৱে চকুলো টোকা!

এতেকে হে এবে কৰ্ত্তব্য আমাৰ
উদ্ধাৰোঁ ত্বৰিতে সজাতি ভাই;
উদ্ধাৰোঁ সত্বৰে জনম ভূমিৰ
যৱনে যি ছোৱা দমিছে হাঁয়।

ৰাজভক্তি গুণে অসমীয়া জাতি
সবাৰো আগত জিলিকে আজি;
বিজয় পতাকা অসম ৰজাৰ
উৰাম,—আহিছোঁ ৰণুৱা সাজি।

বীৰ-প্ৰসৱিনী অসম জননী,
লাচিত আমাৰ অসম বীৰ;
এনে মহাবীৰ যাৰ সেনাপতি
কি ভয়, কি ভয়?—জিনিম স্থিৰ।

জিনিম শত্ৰুক, —পৰিম নতুবা—
লাচিত আদেশ হইছে আগ ;
দেশোদ্ধাৰ পণ, প্ৰাণত আমাৰ,
জীৱন সৰ্ব্বস্ব কৰিম ত্যাগ।

"অসম সাহসী অসমীয়া সেনা
দুৰ্জ্জয় ৰণুৱা ভাৰত মাজে"
বুলি বিদেশীয়ে মানিব ধুৰুপ্
দেখিলে আমাক বীৰৰ সাজে।

দেখোক যৱনে ভাৰতৰ মাজে
অসম সেনাৰ বিষম বীৰ্য্য,
লাগোক তবধ বিপক্ষৰ দল
পৰাস্ত হই মানোক আশ্চৰ্য্য।

লক্ষ্য স্বৰ্গদেৱ, লক্ষ্য সেনাপতি,
অসম আমাৰ জনম ভূমি ,—
এই তিনি মাত্ৰ, নাই আন মন্ত্ৰ,
জিনিম মোগল নিশ্চয় আমি।

উষা আৰু চিত্ৰলেখা

উষা।—অকস্মাৎ কিয়
হওঁ অধীৰা এনুৱা! ৰোমাঞ্চিত প্ৰাণ
উঠিছে উতলি, বই পৰে পাৰ ভাঙ্গি
ব্ৰহ্মচৰ্য্য ব্ৰত মোৰ!
চিত্ৰলেখা।—কিবা হল সখি!
কিয় এনে উত্ৰাৱল?
উষা।—নাজানোঁ, নুবুজোঁ, হঁায়,
মৰ্ম্মভেদী এটি ৰাগে, অযাচিতে উঠি,
ব্ৰহ্মচৰ্য্য ব্ৰত মোৰ কৰে চূৰ্ণীকৃত!
--নাপাওঁ তৰণি।
চিত্ৰলেখা।—জানিছোঁ, বুজিছোঁ, সখি!
উষা।—কিবা জানাঁ সখি?
চিত্ৰলেখা।—জানোঁ যিবা জানা তুমি;
গমি চোৱাঁ আপোনাতে প্ৰকৃতিস্থ হই;—
ৰতিমতী এবে তুমি, মদনপীড়িতা,
প্ৰেমপ্ৰবাহিনী।
উষা।—নুবুজোঁ কি কোৱাঁ তুমি,
কি ঘোৰ সমস্যা।
চিত্ৰলেখা।—নহবাঁ অধীৰা।
বিজুলীৰ চমকনি মেঘৰ বুকত
উঠি পুনু মাৰ যায়,—নকৰে থিতাপি।
তোমাৰো সি মনোগতি মনতে মৰহি,
মনে মনে যাব মাৰ।
উষা।—মিছা! নৰজে ৰিজনি।
নোহে সাধাৰণ এই ব্যক্তিগত ব্যথা।
এনুৱা দুৰ্ব্বলা কিয় হওঁ আচম্বিতে,
জানি-বুজি মোৰ ব্ৰহ্মচৰ্য্য মনোবান্ধ!
ছিঙ্গে যদি সেই বান্ধ দৈব দুৰ্ব্বিপাকে,
ছিগিব জীৱন বান্ধ,- -যাব উৰি প্ৰাণ
এৰি দেহা-সজা!
চিত্ৰলেখা।—ছিগিব সঁচাকে',
ছিগে যদি মনোবান্ধ অবৈধ বিধানে।
নিদিম ছিগিব কিন্তু, জানিবাঁ ধুৰুপ,
অবৈধক বৈধ কৰি গুচাম প্ৰমাদ,
চিত্ৰেৰে চিত্ৰক আঁচি, তাৰে অনুকৃতি
মিলাই তোমাৰ মানসী মূৰতি স'তে,
— নিশ্চিতে থাকিবাঁ তুমি।

জীৱন সন্ধিয়া

সমনীয়া লগৰীয়া, হেৰা সোণামুৱা,
আত্মাই আত্মাক শুনে, দেহদূৰ্গ ভেদি,—
তোমাৰ সন্ধিয়া গীত, নিলগত গোৱা,
গোৱাৰ আগেয়ে শুনোঁ কেনিবাদি।

মিলিছে তোমাৰে স'তে মোৰো সান্ধ্যগীত,
নাপাই বিচাৰি মনে সিপুৰীয়া থান্;

মানসী চকুৰে পাওঁ,—চাই পিত্‌পিত্‌,—
যুক্তিৰ বুজনি মাথো ;—নাই একো আন !

আছোঁ বাৰু দুয়ো আজি ধৰাতে উমলি,
চেমনীয়া কাল ধৰি একে সমলেৰে ;
কাইলই দেহী গুচি যাম কেনি চলি ?—
নাভাবিবা, জানিছা নে সত্য প্ৰমাণেৰে ?

যুক্তিৰ কৰম সাৰ মন-পতিওৱা,
প্ৰত্যক্ষ প্ৰমাণ তাৰ দিবলই নাই ,
নাপালে সন্দেহ্ সেই পুৰী নো কেনুৱা,
কেনেকই বোলোঁ 'সঁচা', কোৱাঁ মোৰ ভাই।

গদা-গৃহ

গদা। –(অকলে) মিলিছে সুযোগ, অহ,
মিলিব ৰণুৱা এবে মনৰ জোখায়।
পাৰ হল অতকাল ধেমালি যুঁজত,
নিমিলিল ছেগ ক'তো সঁচা ৰণলই,
মিছা হল বাহুবল, মিছা গদানাম।
মিলিছে সুযোগ এবে, অতকাল পিচে,—
সমুখ সংগ্ৰাম হেতু ৰাজসেনা স'তে।
নিপাতি যতেক বীৰ, সেনা, সেনাপতি,
ৰাজ্য উদ্ধাৰিম।

* * *

মিলিছে সুছেগ, অহ,
পতিত আহোম ৰাজ্য পুনু উথানৰ।
পিতৃৰাজ্য ৰসাতলে যায়-যায় আজি।
স্বাৰ্থপৰ কুলাঙ্গাৰ পাত্ৰ-মন্ত্ৰীসৱে
ক্ৰমাগত নিছে তললই। অৰাজক
ৰাজ্য আজি হল স্বৰূপত। নাম মাথো
ৰাখি ৰজা অপাত্ৰ জনক, যতমানে
দুৰাচাৰে পাঙ্গি লই দুৰ-অভিসন্ধি,
লুটিছে পীড়িছে কৰি দেশ ছাৰখাৰ!
কতজন বংশধৰ হল বিনাশন,—
দহে মোৰ দেহ-মন পৰিলে মনত।
জীৱনৰ ব্ৰত মোৰ আছে অন্তৰত
ইসব উদ্ধাৰ কৰা বিনাশি অপায়।
নিৰ্জ্জীৱ অতনা দিন জীৱন্ত বাসনা
অন্তৰৰ অন্তস্থল আছিল বিয়াপি
ছায়ে ঢকা অগ্নিশিখাপ্ৰায়। আছোঁ ময়ো
মৰাপ্ৰায় মনোবেগ মনতে সামৰি
জীৱনৰ মহাব্ৰত হানি হয় বুলি।
সুমৰিছোঁ সৰ্ব্বক্ষণে হিত উপদেশ
ন্যায়সোধা ফুকনৰ ; জন্ম মোৰ
শিক্ষা-দীক্ষা লক্ষ্য আৰু ৰণ-আখৰাৰ
স্বাধীন উদ্দেশ্য মাথোঁ দেশৰ উদ্ধাৰ!
মিলিছে এতিয়া তাৰে সোণালী সুযোগ ,—
কাৰ্য্যৰ ক্ষেত্ৰত মিলিব দুদিন বাজে
সম্মুখ সংগ্ৰাম।

* * *

জয়া।—(প্ৰৱেশ) দুখত আনন্দ!
সদানন্দ সদাশয় প্ৰাণেশ্বৰ মোৰ।
গ্ৰাসেহি বিপদে , তথাপি নহল, হায়,
চেতনা তোমাৰ নাথ !
গদা।—নডৰাওঁ প্ৰিয়া হেৰা, নাভাবিবা আন,
নপলাওঁ কদাচিতো কাপুৰুষ হই।
বীৰৰ শোভন কাৰ্য্য নহয় পলোৱা,
নোশোভে সি কদাপিও গদাপাণিলই।
জিনিম অকলে মই শতেক যুজাৰু।
আগে যুদ্ধ, পাচে মৃত্যু,—বীৰৰ ধৰম
নিশ্চয় পালিম মই।
জয়া।— সঁচা, প্ৰাণেশ্বৰ !
জানো মই বিক্ৰম তোমাৰ। জানো আৰু
বীৰৰ কৰ্ত্তব্য যিবা। অবলা যদিবা,
নডৰোঁ মৃত্যুক ময়ো,—নাথাকে উপায়,
নাথাকে ভৰসা যেবে। কিন্তু, প্ৰাণনাথ,
ভাগ্যৰ চকৰি সদা লাগিছে ঘূৰিব ;—

সুঘূৰিব তব ভাগ্য, কোনে কব পাৰে ?
দুদিন অজ্ঞাতবাস কৰাঁ তুমি গই ;
মিলিব সুযোগ পুনু ; উদিব নিশ্চয়
সৌভাগ্য সূৰুয পুবে।
গদা।—নামানে বুজনি, প্ৰিয়া,
সুবুজে পৰাণে মোৰ! আতিকে' ঘিণাওঁ
মই ভয়াতু জনক ; নিন্দোঁ তততোধিক
পুৰুষালি নাই যাৰ। জানে সকলোৱে
মনোভাব মোৰ ; আপোন পালত এবে
কৰোঁ কিনো মতে পুৰুষে নকৰা কাম ?
আৰু এটি কথা ;—তোমাক অনাথ কৰি,
এৰি লাই, সোণাই লেচাই, যাম মই
প্ৰাণ লই অকলে পলাই! অসম্ভৱ,
প্ৰিয়া, মোক নধৰিবাঁ টানি। তদুপৰি,
ৰাহুৰ গ্ৰাসত এৰি পিতৃৰাজ্য মোৰ,
নকৰি প্ৰাণক পণ, পলাম অকলে!—
অসম্ভৱ কথা ইটো।
জয়া।—সেই হে ধৰিছোঁ টানি। নকৰিবাঁ মোক
চিৰ-অনাথিনী ; অকালত পিতৃহীন
নকৰাঁ সন্তান ; পতনমুখীয়া ৰাজ্য
নকৰাঁ উচ্ছেদ ; ঘূৰিলে ভাগ্যৰ চাক্
ঘূৰিব সুদিন ; উদ্দেশ্য সফল হব
থাকিলে কুশলে তুমি।
গদা।—বান্ধনী কথাৰ!
নাবান্ধিবাঁ, প্ৰিয়া, মোক যুক্তিৰে মেৰাই।
জয়া।—নোহে কথা বান্ধ,—
হিয়াৰ আবেগ আৰু পত্নী-অনুৰোধ,
—সুবুজিলাঁ প্ৰাণেশ্বৰ!
গদা।—বুজোঁ প্ৰাণেশ্বৰী!
বুজিছোঁ কতনা আগে ব্যাখান তোমাৰ ;
কৰা নাই অৱহেলা তব অনুৰোধ,
নকৰোঁ কাচিত, এৰাঁ যদি আজিলই।
জয়া।—নিচিন্তাঁ মঙ্গল তেন্তে আমি তিনটিৰ ?
দিবাঁ যদি ধৰা, নাথ, হেলি অনুৰোধ,
বাকী তিনিপ্ৰাণী তব ৰাখাঁ ক'ত আজি ?
—ডুবিব দুখত দিনে। আৰু, চোৱা, নাথ,
দিয়াঁ যদি প্ৰাণ তব অযথা যুঁজত
—অকলে সমুখ হই অলেখৰ স'তে—
জীৱনৰ লক্ষ্য তব ৰাজ্য উদ্ধাৰৰ
পৰিব পুলিতে জঁয়।
গদা।—কি আছে উত্তৰ!
জীৱনৰ লক্ষ্য মোৰ স্বদেশ উদ্ধাৰ
নোৱাৰোঁ এৰিব, আছেমানে দেহে প্ৰাণ।
যি লক্ষ্য ধ্ৰুৱতৰা এই জীৱনৰ,—
পতন উন্মুখী ৰাজ্য ইন্দ্ৰ-বংহৰ
উদ্ধাৰ সাধন,—কৰি তাক শঙ্কাযুত—
ভাৰৰমুখীয়া—নহব যুগুত সঁচা,
অযথা ৰণত ধৰি মৰসাহ কৰি।
পূৰ্ণ হোক বাঞ্ছা তব ; কৰিম অকাৰ্য্য
পলৰীয়া হই আজি! কিন্তু, গদাপাণি
নাথাকে নিশ্চিন্তে বহি উদ্দেশ্য পাহৰি।
যাম মই ৰণ-বল সংগ্ৰহ কাৰণে।
জিনিম পাষণ্ড ৰজা, দিম সমুচিত
পাপৰ শোধন আহি ; বঢ়ালে বিপদ,
গুপ্তসিংহ জগোৱাই নিজে। থাকাঁ প্ৰিয়া,
পোনা দুটি বুকুত গুৱাই। চিন্তা নাই
মোৰ হস্তে, হব দেখা দুদিনৰ পাচে।

বিৰহিণীৰ বিলাপ

জয়মতী।—নমৰি জীয়াই আছোঁ, আৰু কিবা আশা ধৰি ?
আজিও ধৰিছোঁ দেহা, নাথ মোৰ গল এৰি!
যি গছৰ হই ছাঁয়া, ধৰিলোঁ সংসাৰ মায়া,
নাই এবে সেই তৰু, ধৰোঁ কায়া কেনে কৰি ?
বেলাটো বিৰহ যাৰ অসহনী লাগে ভাৰ,
নাই তেওঁ দিন চাৰি, আছোঁ মই দেহা ধৰি!
বহুভোজী প্ৰাণধন, সুবুজে অপৰে মন,
কি ভোগ মিলিছে হাঁয়, ভিখাৰী বেশেৰে ঘূৰি!

ৰাখাঁ প্ৰভু বিশ্বেশ্বৰ! সুখে মোৰ প্ৰাণেশ্বৰ,
অন্নপূৰ্ণা! দিবাঁ ভোগ য'তে ত'তে অৱতৰী।
নগাৰ নগৰা বান্ধ, দিলোঁ আঁটি আতি টান,
সহিছে কতনা জানো, কুৰূপ সাজেৰে ফুৰি!
বীৰবাহু পতিধন, উন্নত অদম্য মন,
আছে আজি কিনোমতে পৰ মন আগ কৰি?
দেশৰ মঙ্গল হেতু, ভাঙ্গি ললোঁ প্ৰাণসেতু,
কি সতে ধৰিছোঁ দেহা আজিও ই প্ৰাণ ধৰি!

* * *

আঁছা ক'ত, কিবা ভাৱে,
প্ৰাণেশ্বৰ মোৰ! সঙ্কেতে মনৰ ভাব
বুজি কোনে আজি, তুষিছে বিৰহী প্ৰাণ?--
বুজে কোনে মন তব এই দাসী বিনে!
কিনো বেশ ধৰি হায়, গলাঁ প্ৰাণধন,—
ৰজাৰূপী শৰীৰত বেতৰ নগৰা!
দেহ-মন-প্ৰাণ পৰিছে মলিন জানো
অজ্ঞাত বাসত!

* * *

হে নাথ, অনাথনাথ, ক্ষেমিবাঁ ই দায়,—
তথু আগে স্বামীপদ স্মৰোঁ এটিবাৰ।
পতিগতি, পতিমুক্তি, পতিপদসেৱা,
সতীৰ প্ৰথম কাম,—বিধিৰ বিধান।
নিচিন্তি পতিৰ পদ, আন দেৱ-দেৱী
পূজা বিধি নাই;—এতেকেসে অন্তৰ্য্যামী,
ক্ষেমিবাঁ বেটীৰ দায়। সৰল গোহাৰি
আৰু, অবলাৰ,--ৰাখাঁ যেন স্বামী মোৰ,
—নিৰাশ্ৰয়, নিঃসহায়,—নিজগুণে প্ৰভো!
চুলি ছিঙ্গি কৰিছোঁ কাতৰি, কৰাঁ দূৰ
শতেক অপায় দেৱ, পতি-দেৱতাৰ।
শুনিছিলোঁ সাবিত্ৰীয়ে পতিপ্ৰাণদান
লভিছিল হাতে-হাতে, পূজি ধৰ্ম্মৰাজে;
পালে বহু আৰু দান স্বামীৰ কাৰণে।
পূজিছোঁ বেটীয়ে ময়ো, হোৱাঁ তুষ্ট দেৱ,
দিয়াঁ আজি মোক স্বামীৰ মঙ্গল দান।
আছেমানে ক্লেশৰাশি পতিধনলই,
দিয়াঁ মোকে ভোগ তাৰ, খণ্ডোক অপায়।

ৰাজচ'ৰাত জয়মতী

ৰজা।—দিব লাগে পতিৰ সন্ধান;
শুনা, আজ্ঞা মোৰ।
জয়া।—ৰজাৰ অধীন প্ৰজা; নোহে তাৰ হিয়া।
আজ্ঞাধীনা বুলি এবে আহিছোঁ ইঠাই,
ৰাজাজ্ঞা পালন হেতু, পালিম যি পাৰোঁ
—অহা নাই হিয়া মোৰ বলি দিবলই।
নিদিওঁ বুলিছোঁ মোৰ স্বামীৰ সন্ধান,
নিদিম প্ৰাণান্তে। নডৰাই জয়মতী;
নেদেখোৱাঁ নীচ বিভীষিকা। ৰখা নাই
বাকী ঘোৰ লাঞ্ছনাৰ;—ৰজাৰ বোৱাৰী
হলোঁহি চ'ৰাত থিয়; আহিল অখ্যাতি
ইন্দ্ৰবংশী আহোমৰ আজি! আছে নে কি
বাকী আৰু কিবা?
ৰজা।--নতুবা অৱশ্যে হব শাস্তিৰ বিধান।
জয়া।—কিয় এনে হীনবল দেখোঁ সিংহাসন!
কিয় অকাৰণ বিচাৰে কাতৰ ভাৱে
সুদৃঢ় প্ৰতিজ্ঞা মোৰ পাবলই লৰ!
কিয় ভয় প্ৰদৰ্শন, শাস্তিৰ বিধান
ধৰিছে আগত মোৰ! জনা আছে মোৰ
লাগিব সহিব ক্লেশ নশ্বৰ দেহাত;
জানি বুজি কৰিছোঁ যি হয়। নোহে মোৰ
হিয়া বিচলিত, নহব কাচিতো জানাঁ।
দেহাৰ পতন স'তে আত্মাৰ মৰণ
নেদেখোঁ নিশ্চয় এই নাৰী জীৱনত
কৰাঁ যিবা বুজাঁ ভাল;—নিদিওঁ সন্ধান।
ৰজা।—নোৱাৰি সহিব আৰু!
বন্দীপাল, বাজ কৰ এই গৰবিনী।

নিতে নৱ শান্তি দিবি, কৰিবি জীয়াতু,
যত্তপি নিদিব তাই পতিৰ সন্ধান।

জয়া।—নোবোলাঁ অবাচ্য, ৰজা,
'তাই' বচনেৰে! প্ৰতিশোধ সমুচিত
দিবহি কালত, বীৰবাহু স্বামী মোৰ
ঘূৰিব যেতিয়া। আতিকে দুৰ্ব্বল তুমি;
নাই বীৰতেজ; নেদেখোঁ পৌৰুষ চিন্
সমূলি তোমাত। পতিৰ অজ্ঞাতে কোনে
সতী পীড়নত দেখায় মতালি! ধিক্
তৱ পুৰুষালি! মহাপাপী তুমি জানাঁ,
নাচাওঁ তোমাক। ধাৰ্ম্মিকে তোমাৰ সঙ্গ
নলয় কাচিত। উদিব সুদিন জানাঁ,
মহাবাহু স্বামী মোৰ ঘূৰিব যিদিনা;—
প্ৰদমি প্ৰমত্ত সিংহে ৰজা, মন্ত্ৰী, সৱো,
উদ্ধাৰিব পিতৃৰাজ্য, ৰসাতলে যোৱা,—
মানিবাঁ ধ্ৰুৱপ।

মিলন-মহত্ত্ব

স্বৰ্গ মৰ্ত্য মিলনৰ
        সাক্ষ্য দিয়ে আকাশে সাগৰে;
পাতালকো কৰে মিল
        চামে চামে মিলন আকৰে।

*

সুমেৰু কুমেৰু মিল,
        —মেৰুদণ্ড মূৰপুতি জোঁটা;
বিষুৱ বান্ধনী মেৰ,—
        ভূমণ্ডল আকোঁৱালি আঁটা।

*

উদয়-অচল স'তে
        অস্তাচল নিতে সম্মিলন;
পীতাম্বৰ পূজাৰীয়ে
        পুৱা-সন্ধ্যা কৰে আবাহন।

সূৰ্য্যকান্তি পদুমত,—
        দিনমান মিলন-পোহৰ;
চন্দ্ৰপ্ৰভা কুমুদত,
        মিলনৰ হিয়া-সৰোবৰ।

*

প্ৰতিভাত প্ৰকৃতিত
        পুৰুষৰ মিলন-মহিমা;
সৃষ্টিৰ স্বীকাৰ্য্য ৰেখা
        বিস্তাৰিছে,—নাই তাৰ সীমা।

*

সখি-মিলনৰ ফল,
        কৃষ্ণাৰ্জ্জুন,—গীতা-উৎপতি,—
মানৱাত্মা মুক্তি হেতু
        জগতত শ্ৰেষ্ঠ ধৰ্ম্মভেটি।

*

দাম্পত্য মিলন চিন্,
        পুত্ৰ-ভাৰ্য্যা, জীয়াৰী-জোঁৱাই;—
সংসাৰ মিলন নীতি
        অযাচিতে তাত ফলিয়ায়।

*

সৃষ্টি-স্থিতি-প্ৰলয়ৰ
        সম্বন্ধ নিৰ্ব্বন্ধ গূঢ়তত্ত্ব,
একৰ কাৰণে তিনি,—
        বিশ্বপ্ৰাণ,—মিলন-মহত্ত্ব।

নিৰ্য্যাতনত জয়মতী

জয়া।—শক্তিদাতা ভগৱন্ত!
অসহন নিৰ্য্যাতন সহিবৰ গুণে
দিয়াঁ শক্তি শৰীৰত। দিয়া একে শক্তি
এৰে এই হৃদয়ত, সহোঁ একেদৰে
লাঞ্ছনা অশেষ। ভাবিছে দুৰ্ম্মতি ৰাজে,
পাশৱ পীড়নে কৰিব দুৰ্ব্বলা মোক,
বলেৰে কৰাব মান্তি সই লবলই,

নাজানি সতীৰ প্ৰাণ পতিপ্ৰাণা বুলি!
বসুমতী! আছে যদি ধৰম তোমাত,
ৰাখিবাঁ ধৰম মোৰ,—দিয়াঁ শক্তি তয়,
সহনৰ পূৰ্ণগুণ আজি। ক্ষমা গুণ আৰু
দিয়াঁ মোক পূৰ্ণভাৱে, ক্ষমো অজ্ঞানক।
নিৰ্বিচাৰেঁ৷ প্ৰতিশোধ, পাব প্ৰতিফল
ফলিব কালত সি কৰ্ম্ম অনুসৰি।
কিন্তু, ভিক্ষা এই, পায় যেন প্ৰাণনাথে
মঙ্গল আশ্ৰয়, অপায়-অশান্তি মাজে।
আৰু, মোৰ দুটি পোনা এৰিছোঁ পিচত, -
দুটি সিংহৰ পোৱালি, থাকে যেন দুয়ো
আপদ এৰাই। পতিত ই ৰাজবংশ,
স্বামীয়ে উদ্ধাৰা পাচে, কৰিব উজ্জ্বল,
অদ্বিতীয় ৰজা হই। বাঞ্ছা আৰু নাই, —
স্বামীৰ চৰণ যেন ভাগো পাওঁ দেখা,
এবেঁাতে মাটিৰ দেহা মাটিক গতাই।
—এয়ে বাঞ্ছা শেষ।

* * *

চাপিছে ওচৰ, প্ৰতিজ্ঞা-পূৰণ-ক্ষণ,
এৰিম ই দেহাভাৰ বসুধা বুকত।
জানিবাঁ সম্ভাষা মোৰ মৰ্ত্য-নৰ-নাৰী,
ক্ষমিবাঁ যতেক দায়, বিদায় কালত।
হৰিষ্ প্ৰাণেৰে যাওঁ স্বৰ্গ-ৰাজ্যলই,
পালি মোৰ মহাব্ৰত ইহ জনমৰ।
পালোঁ দেখা অন্তিমত স্বামীৰ চৰণ,
জানিছোঁ সজ্ঞানে মোৰ সফল কামনা,—
স্বামী মোৰ আছে নিৰাপদে। নাই আৰু
জীৱনৰ সজীৱ কামনা, আছে মাথোঁ,
সংসাৰত ৰল দুটি পোনা, আশীৰ্ব্বাদ
কৰিছোঁ দুটিক,—দুপৰ সুৰযপ্ৰায়
বাঢি দুয়োটিযে বঢাব গৌৰৱৰাশি
ইন্দ্ৰবংশী ৰজাসকলৰ। নাভাবিবাঁ
নাই অৰ্থ এই পীড়নৰ। দায় নাই জানাঁ,
পীড়ক ৰজাৰ;—নিমিত্তকাৰণ তেওঁ
বিধিৰ হাতত। অদৃষ্টত লেখা ৰেখা
নাযায় মোচন,—অদৃশ্য উদ্দেশ্য যিবা।
সুখ-দুখ, হঁহা-কন্দা মুগ্ধ মানৱৰ
মাথোঁ প্ৰহেলিকা!—আৰু মোত্ কথা নাই।
হৰিষ্ অন্তৰে মাগো বিদায় সবাকে
মাগিছোঁ বিদায় আৰু ইহ জনমৰ,
স্বা-মী-চ-ৰ-ণ-ত, বি-দায় এ-বে।

গুহা

অস্থ' ম বিশোপন শোভা মনোহৰ,
নিৰ্জ্জন তলিত শোভে প্ৰকৃতিৰ ঘৰ।
চউপাশে পৰ্ব্বতৰ সৌন্দৰ্য্য নিজৰা,
ব গৰি চিৰলী ধাৰে মিলিছে এডৰা।
শীতল পাটীত পৰি প্ৰকৃতি সুন্দৰী,
লভিছে জিৰণি, অহ, সৌন্দৰ্য্যে আবৰি।
সংসাৰৰ দুষ্টাশ্ৰু নপশে ইয়াঁই,
শান্তিৰ শীতল বা বলিছে সদায়।
অধৰ্ম্মৰ পৰাক্ৰম, চিন্তাৰ বিকাৰ,
নাই তাত পাপ-তাপ অকাৰ্য্য-নিকাৰ।
বাহিৰত মউ-মাত ভিতৰত হুল,
সংসাৰী বান্ধৱ লই নহওঁ ব্যাকুল।
বনৰ হৰিণা স'তে ফুৰি ডিঙ্গি ধৰি
লভিম পবিত্ৰ সুখ আপোন পাহৰি।
সংসাৰৰ গীত-বাদ্য কপটতা সুৰ,
নাবাজে কাণ আৰু সুললিত মোৰ।
বনৰ বিহগ গান শুদ্ধ তাল মান,
শুনি মুগ্ধ হব মোৰ উদাস পৰাণ।
সুশীতল তৰুতল আৰু কুঞ্জবন,
নিয়তি নিৰ্ম্মিত বহা বৈৰাগী কাৰণ।
মাতে যেন ৰিভিয়াই বাজিছে প্ৰাণত,
নকৰোঁ পলম আৰু সংসাৰ-হাটত!

গুহাত গদাপাণি

গদা।—নিজান গুহাত
অহ, অকলই মই!
অকলে আপোন মনে কৰিছোঁ বিহাৰ,
পাহৰি সংসাৰ চিত্ৰ, পুত্ৰ-পৰিয়াল,
আৰু মোৰ ৰাজ্যচিন্তা, আত্ম বাহুবল।
তপস্যা সাধন নোহে ব্ৰত জীৱনৰ,
নাছিল সমূলি বৈৰাগী জনৰ ভাব
আদি জীৱনত। আজিও বীৰৰ তেজ
বয় প্ৰতিসিৰে; বীৰভাব বীৰকাজ,
পালিছোঁ আজিও,—আজিও জীৱন-ব্ৰত।
তেন্তে এই ছদ্মবেশ কিয় আজি মোৰ!
কিয় বা নিজানবাস ভৰ বয়সত?
জন-প্ৰাণী অসঞ্চাৰ, নাই সমাগম;
চৰাই-চ্‌কতি মাথোঁ পশে এই ঠাঁই,
চিন্তাশূন্য প্ৰাণ তাৰ, আতি নিৰমল,
উলাহত নাচি নাচি উৰে! কিন্তু হায়,
চিন্তাৰ বিকাৰে যাৰ দহে মন-প্ৰাণ,
জন-সমাজত যাৰ নাই শান্তি লেশ,
নাই তৃষ্ণা, লীপ্সা গৌৰৱত যাৰ,
সেই দুৰ্ভগীয়া নৰে প্ৰৱেশে ইঠাঁই,
অপাৰ চিন্তাৰ পাৰ পাওঁ বুলি ভাবি।
কাপুৰুষ সিটো, যদি সি সংসাৰী;
সংসাৰ-ধুমুহা যিটে সহিব নোৱাৰি,
অকলই প্ৰাণ লই বিচাৰে জিৰণি।
তদ্ৰূপ মিলিছে দশা এই জীৱনত;—
মানিলোঁ বিষম ঘাটু সংসাৰ যুঁজত,
আহিলোঁ অনাথ কৰি ভাৰ্য্যা-পুত্ৰ মোৰ,—
বাঘৰ চোঙত সিংহী, সিংহৰ পোৱালি!
এৰিলে প্ৰিয়াই দেহা পাপীৰ হাতত,—
থাকিলোঁ আগতে চাই! ভুঞ্জিলে সাক্ষাতে
নিৰ্য্যাতন যতমানে,—নাযায় কথন—
তথাপি নহল মোৰ শক্তি উদ্ধাৰৰ।
অনাথ সন্তান দুটি মাতৃ-বিয়োগত
উন্মাদ হইছে জানো! বাঢ়িছে আৰাৰ
জানো নাৰী বিলাপৰ! শত্ৰু-হাঁহিয়াতে
লগায় খলক জানো! হিয়াভেদী ভাবে
কঁপাই মেদিনী যেন বাজিছে প্ৰাণত,
মৰ্ম্মান্তিক খেদ তাৰ; আতি অসহন।
দুৰ্ব্বল হইছে হিয়া, নাই মনোবল,
ধৈৰ্য্যতাই দিছে এৰি বাট! কিন্তু হায়,
মৌনব্ৰত জীৱনৰ উদ্দেশ্য নহয়,
নোশোভে সি ৰীতি এই কৰ্ম্মজীৱনত।
কাপুৰুষ মই?—পশুৱত বনচৰ!
প্ৰাণৰ মায়াত কৰিছোঁহি গুপ্তবাস!
ভাবিছোঁ মঙ্গল আজি জন-সমাজৰ
ক্ষুদ্ৰ প্ৰাণ নিৰাপদে আছে দেখি মোৰ!
ধিক্ এই জীৱনত, ধিকাৰোঁ শতেক!
মোৰ সম নৰাধম, পাশৰ পৰাণ,
নাই পৃথিৱীত!—সাধ্বী সতী জয়মতী
প্ৰিয়ভাৰ্য্যা যাৰ; যাৰ হস্তে বীৰজায়া
হল তনুত্যাগী, অসহ্য যন্ত্ৰণা সহি;
ৰাখিলে যি কীৰ্ত্তিৰাশি আদৰ্শ সতীৰ;
যাৰ নামে নাৰীবল আজি ধৰণীত;
সেই ভাৰ্য্যা ভাব ভুলি, আছোঁ নিজস্থলে,
আত্মচিন্তা কৰি সাৰ!—ধিক্, ধিক্, ধিক্!
ধিক্ মোৰ বীৰ নাম, ধিক্ বাহুবল,
ধিক্ আৰু উচ্চ আশা ৰাজপাটলই!
পাহৰিছোঁ বীৰধৰ্ম্ম আজি? বীৰতেজ
সিৰে মোৰ নবয় এতিয়া? নাই আৰু
সাহ-পিত, জীৱনৰ উদ্দেশ্য মহান্?—
নতুবা ই ছদ্মবেশ, গুপ্ত গুহাবাস,
কি স'তে বঞ্চিছোঁ আজি? পাহৰিছোঁ আজি
বীৰৰ প্ৰতিজ্ঞা মোৰ,—প্ৰতিশোধ লোৱা?—
পীড়িলে যি প্ৰিয়া মোৰ পাশৰ পীড়নে,
নিতে নৰ শাস্তি ঘোৰ যাৰ আদেশত
সহিলে প্ৰিয়াই মোৰ ধৰণী সমানে,

নলওঁ যদ্যপি তাৰ নাৰীবধী প্ৰাণ,
মুজুৰায় প্ৰাণ মোৰ নিশ্চয় নিশ্চয়।
নাই মোৰ সৈন্যবল, ৰণৰ সমল,
নাই আৰু বন্ধুজন আলোচন হেতু;
নুবুজোঁ প্ৰজাৰ মন; নাজানোঁ যতেক
মিত্ৰৰাজ সম্প্ৰদায়,—কাৰ কিবা মতি।
তথাপি, প্ৰতিজ্ঞা মোৰ, যুঁজিম অকলে;
অকলে উভালি যত বিঘিনি বিৰিষ্,
বায়ুবেগে প্ৰৱেশিম আপোন নগৰ,
আক্ৰমি বিক্ৰমে মোৰ লম সিংহাসন।
অকলেই হনুবীৰে দহি লঙ্কাপুৰী,
যিমতে সাধিলে সিদ্ধি সীতা উদ্ধাৰৰ,
ছদ্মবেশী ভীমসেনে প্ৰদমি যিমতে
দুৰ্দ্দান্ত নৃপতিদল সয়ম্বৰ দিনা,
ৰাখিলে গৌৰৱ ৰাশি দ্ৰৌপদী সতীৰ,
তদ্ৰূপ মোহাৰি মই সৈন্য সেনাপতি,
গৰাহত লম ৰজা, মন্ত্ৰী, পাৰিষদ,
আৰু যত পাত্ৰ-মন্ত্ৰী বিপক্ষ দলৰ।
কৰিম যুগুতি পাচে, প্ৰিয়াৰ গৌৰৱ
জিলিকাই ৰাখিবৰ হেতু, প্ৰতিশ্ৰুত
হলোঁ আজি ধৰ্ম্ম-সাক্ষী কৰি। লৰে
যদি হিমাচল, নলৰে বচন মোৰ। আৰু,
ঘটে যদি বিপৰ্য্যয়,—বিধি-বিপাকত,—
গদা নাম পৃথিবীত নধৰোঁ, নধৰোঁ,
সত্যে, নধৰোঁ নিশ্চয়।

মেঘদূত

হেৰা, দেৱদূত কটকী মেঘাই
বাৰ্ত্তাবহ কালিদাসী,
বিশ্বদৰ্শী তুমি, ধীৰ, মৃদুগামী,
বিৰহীৰ প্ৰাণভাৱী!
অনুৰোধ মোৰ,— অনতিপলমে
যোৱাঁ, স্বৰ্গধামলই;
অমৰ সভাত মাৰিবা ভুমুকি,
জুমি চাবাঁ মুখলই,—
দেখিবাঁ এখনি দীঘলী বয়ান
অমায়িক সাম্যালয়,
দীৰ্ঘ অশৰীৰী, সবাতকৈ ওখ,
হাঁহিমুৱা সদাশয়!
তেৱেঁ জানাঁ মোৰ সাদৰী জোৱাঁই,
বৰপুত্ৰ সমতুল, *
গল এৰি মোক আচম্বিতে হাঁয়,
প্ৰাণ কৰি বিয়াকুল!
প্ৰিয়তমা ভাৰ্য্যা, পুত্ৰ, কন্যা, সৰো,
মৰ্ম্মব্যথা আমাসাৰ
কৰিবা জ্ঞাপন,— দিবাঁহি উলটি,
পাবাঁ যিবা সমিচাৰ।

বৰাগী বহাত গদাপাণি

গদা।—কি ভাৱে যাঁপছোঁ দিন?
কিবা হলোঁ আজি! ক'ত মোৰ ৰাজ্যচিন্তা,
ক'ত আজি বৈৰাগী জীৱন! নাই আজি
ৰাজ-সাজ, অস্ত্ৰ-শস্ত্ৰ, বীৰৰ আহিলা,
সলনিত ধৰিছোঁহি বৰাগী টোকাৰী!
যি বাহু ধাৰণ মোৰ শত্ৰু দলনত,
—গদাঘাত নপৰিলে মৃত্ নলগায়—
সি বাহু বৰ্ত্তিছে আজি, অৱশ শিথিল,
ভিখাৰী জোলোঙা বই! যি হাতে সততে
ঘূৰাওঁ ভীমৰ গদা, মুঠিত লুকাওঁ
ভলুকাৰ গুৰি, সেই হাতে ধৰোঁ আজি
চেকনী এছাৰি!

অহ, প্ৰাণেশ্বৰী,
প্ৰেমৰ পুতলী মোৰ প্ৰিয়া জয়মতী;

স্বৰ্গীয় সিদ্ধেশ্বৰ গোহাঞি, এম-এ, বি-এল,
ডেপুটী কমিচনাৰ

সংসাৰ বান্ধন হেতু সোহাগী শিকলি,
গঢ়ি-পিটি বিধাতাই বান্ধিছিল মোক
সংসাৰত এটি চিত্র আঁচিবৰ গুণে ;—
অকালত ছিঙ্গি নিলে একে বিধাতাই,
মেলি বান্ধ অকালত দাম্পত্য প্রেমৰ,
সুদৃঢ় বান্ধনে যেবে ছিলোঁ বান্ধ খাই !
চিন্ তাৰ মৰা নাই, আছে সাঁচ বান্ধি,
হৃদয়ৰ কেন্দ্র ভেদি কক্ষ ৰেখাপ্ৰায়।
আৰু, হাঁয়, কিনো কম, প্রিয়া-গুণ-কথা ;—
অদম্য বীৰৰ তেজে নচুৱাই মোক
অকালে অপথে চলাব যেতিয়া ধৰে,
প্রশান্তসাগৰসমা শান্তিময়ী প্রিয়া
আছিল সাৰথি মোৰ। আছিল সহায়
মন্ত্রণা দানত আৰু।—চিন্তিলে যিদিন
বধৰ উপায় মোৰ লৰা-ৰজাদেৰে,
চিন্তাত বহিল প্রিয়া উদ্ধাৰৰ হেতু।
কিন্তু, হাঁয়,—হিয়া মোৰ বিদৰে স্মৰিলে—
মন্ত্রণাত আত্মবলি ৰচিলে প্রিয়াই,
পতিপ্ৰাণ ৰক্ষা হেতু পতিপ্ৰাণা সতী।
বীৰতেজে বিচক্ষণা, সাধ্বী সতী জয়া,
হাঁহিমুখে স্বৰ্গযাত্ৰা কৰিলে মহান্,
অৱহেলি পাপীৰ পীড়ন। কিন্তু, ধিক্ !
প্রতিজ্ঞা পূৰণ মোৰ নহল অদ্যাপি,
নহল তৰ্পণ আজি পাপীৰ তেজেৰে
প্রিয়া-অপমান মোৰ !

অনাথ সন্তান দুটি,
আছে কিনোভাৱে ? কোনে কৰে পতি আজি
বীৰগৰ্ত্তা জননীৰ বীৰপুত্ৰ দুটি !
সিংহীৰ বিহনে আজি সিংহৰ পোৱালি
অযত্নে মলিন জানো ? অযোগ্য পুৰুষ,
নোৱাৰিলোঁ, পতি হই, ৰাখিব জীৱন্তে
পত্নীৰ গৌৰৱ ! বীৰপ্রসৱিনী প্রিয়া,—
পুত্ৰহস্তে জিলিকিব সতীৰ মাহাত্ম্য,
অমৰ বাঞ্ছিত কীৰ্ত্তি-ৰৱ মৰতত।
বাঁচি থাকাঁ, দুয়ে জিলিকাবাঁ মাতৃনাম ;
ৰাখিলোঁ যদ্যপি মই কুলত কলঙ্ক,
—কাপুৰুষ হই !

দুৰ্ব্বল চিন্তাৰ এবে নাই প্রয়োজন।
নসহে পৰাণে আৰু কাপুৰুষ ৰীতি,
নোশোভে ই ছদ্মবেশ গদাপাণিলৈ !
নোৱাৰোঁ ৰাখিব ঢাকি আত্ম-গোপনত,
বীৰভাব, বীৰকাজ, আকাঙ্খা বীৰৰ ;
নাথাকে লুকাই আৰু সঙ্কল্প প্রাণৰ,
নোৱাৰোঁ ভুলিব মোৰ প্রকাশ্য প্রতিজ্ঞা,
নিৰাশাত উটি। এৰিম বৰাগী বেশ ;
তুৰন্তে পশিম গই ৰাজ-নগৰত।
নিপাতি যতেক শত্ৰু, ভীম আক্ৰমণে
জিনিম ৰজাক মই ; আৰু যতমানে
জিনি বীৰ সেনাপতি, দেখাম জগতে
আজি, বাহুবল মোৰ।

জাৰ্ম্মাণ মহাৰণ

আপদৰ হেন্দোলনি, পূৰুৱে পছিমে,
খলকনি সাগৰ পাৰত ;
দুই উপকূল আৰু হিমালয় সীমা
ওপচাই উধাও ভাৰত।

ইংৰাজ ৰাজৰ মিলে অপায় অপাৰ,
বৃটিচ্ প্রজাৰ কান্দে হিয়া ;
বৃটন-ভাৰত হোৱা একাকাৰ চোৱা ;—
ভেদাভেদ চিন্ নাইকিয়া।

স্বাৰ্থজীৱী ৰাজ্যলোভী সৈনিক ধৰমী
জাৰ্ম্মাণ ঈগলে গলিয়াই
গিলা দেখি স্বাধীনতা সভ্য-ভূভাগৰ,
বাধা দিলে বৃটিচ্ সিংহই।

ভাৰত ভৈৰবে দেখি পূবদিশপৰা
গল খেদি ৰুদ্ৰৰূপ ধৰি;
সংহাৰিলে পালেমানে সমুখ ৰণত
অস্ত্ৰো-জাৰ্ম্ম-ৰোম-বুল্‌গেৰী।

উছৰ্গিলে উলাহেৰে ধন-জন-ৰত্ন
ৰাজভক্ত ভাৰত-সন্তানে,
—সুধীয়া তুধীয়া প্ৰজা হই সমভাগী—
ৰজা আৰু ৰাজ্যৰ কাৰণে।

চাৰিবৰ্ষ-তিনিমাহ শত্ৰু-মিত্ৰ নাশি,
মহাৰণ ক্ৰমে মাৰ যায়;
বৃটন, ভাৰত আৰু জয় মিতিৰৰ,
শত্ৰুৰ মুখত পৰে ছাই।

মহাবীৰ কাইচাৰে ৰাজপাট এৰি,
বিদেশ খাটিলে লই প্ৰাণ;
পাপৰাশি ক্ষয় পালে পুণ্যভাগ ৰয়,
দিলে তাৰ জিলিকা প্ৰমাণ।

পুনু আজি ৰণ-জুই জলে জিভা মেলি,
লগনী ধৰোঁতা হিট্‌লাৰ;
'ভুবনবিজয়ী' নাম লাভ আকাঙ্খাত
পৃথিবীক কৰে ছাৰখাৰ!

ৰণক্ষেত্ৰত গদাধৰ

সৈন্যগণ।—জয় গদাপাণি জয়!
গদা।—নাচিছে হৃদয়,
নাচে মোৰ তেজপুঞ্জ প্ৰতিশিৰে বই
অসম সাহসীগণ দেখি ৰণবেশে।
যাৰ বাহুবলে দৰ্প চূৰ্ণ মোগলৰ
ত্ৰয়োদশবাৰ,—বথানিলে শত্ৰুপক্ষে
তেজ অসমৰ; যাৰ বলবীৰ্য্য কথা
ৰাষ্ট্ৰ ভাৰতত; ইন্দ্ৰবংশী ৰাজকুল
অসম প্ৰতাপে আজি অগ্ৰগণ্য কৰি
ৰাখিছে যি ধৰি; সেই বীৰ সেনাদলে
মানিছে অধ্যক্ষ মোক নিজে বাছি লই,
উচ্চাৰিছে জয়ধ্বনি মোৰে নাম ধৰি।
ইহেন গৌৰৱ আজি, লভি ভাগ্যবলে,
ৰণমদে মাতি উঠে দেহ-মন মোৰ,—
উলাহ নধৰে প্ৰাণে!
সৈন্যগণ।— জয় ভাবীৰাজ জয়!
জয় গদাধৰ জয়!
গদা।—বাঢ়িছে উলাহ,
বাঢ়ে যেন বাৰিষাৰ বেগৱতী নই!
পৰিছে মনত আজি তাহানিৰ কথা,—
তাহানি এপক্ষে হই খাই সেনাপতি
আখৰাত ৰণজয় কৰা। হৃদয়ৰ
আৰু এটি গুপুত বাসনা অন্তৰত
উঠিছে উথলি,—কতকাল মনে-মনে
পালিছিলোঁ আশা, ৰণত বীৰেন্দ্ৰ নাম
লভিম এদিন বুলি; শত্ৰু দলনত
বাহুবলে সাৰ্থকতা লভিবৰ গুণে
কত ভাব পালিছিলোঁ এই হৃদয়ত,
কত ভাব উঠিছিল বিৰিঙ্গি সিদিন;
তেজেৰে বোৱাই নই আঁথি তিৰিপিতি
লভিম এদিন বুলি বান্ধিছিলোঁ যিবা
কঁকালত তৰোৱাল মোৰ! আজি সেই
বাসনাৰ পূৰ্ণদিন চাপিছে ওচৰ,
চাপিছে বাঞ্ছিত ফল সেই সাধনাৰ,
মুগ্ধকাৰী স্নিগ্ধপ্ৰভা অমিয়া সুখৰ,
বিয়াপিছে হৃদয়ত পৰাণ জুৰাই,
আগন্তুক সৰ্ব্বসিদ্ধি, বিধিৰ বিধানে,
চাপিছে ওচৰ দেখি! অপাৰ আনন্দ
হিয়াত নধৰে মোৰ!
সৈন্যগণ।—জয় গদাধৰ জয়!
জয় ভাবীৰাজ জয়!

গদাধৰ।—মুহুৰ্মুহু জয়ধ্বনি
উচ্চাৰিছে যত, উথলি উঠিছে তত
দেহ মন-প্ৰাণ, প্ৰতিপলে প্ৰতিপদে,
ৰণ-উদ্দেশত!—বজোৰাঁ, বজোৰাঁ ঘনে,
বজোৰাঁ ৰণৰ চেৰে, বজোৰাঁ তালত,
তালে তালে নাচি উঠি, বীৰখোজে আমি
উলাহেৰে আগ বাঢ়োঁ ৰণ অভিমুখে!
চেৰে চেৰে ধৰোঁ খোজ, গণি প্ৰতি পদ,
প্ৰতি পদে শুভক্ষণ মানি;—আমাসাৰ
বাহুবল দেখোক জগতে; স্বৰ্গহন্তে
দেখোক দেৱতাগণে। উঠিছে হুঙ্কাৰ
অন্তস্থল এৰি মোৰ, দেখি সমুখত
সিংহৰ চিকাৰ;—মোহাৰি হৰিণাদল
একে আক্ৰমণে, দিম পৰিচয় আজি
কি হেতু গদাৰ বাহু দুৰ্জ্জয় ৰণত।
বাঢ়োঁ আগ, ধৰাঁ পাচ, হেৰা বীৰগণ!
পদে পদে চমু কৰোঁ পৰীক্ষাৰ স্থল,
ৰণত বিজয়ী নাম লভিবৰ গুণে।
ৰাতি-দিন একে সাজ, একে অভিপ্ৰায়,
সবাৰো একোটি আজি একে লক্ষ্য ধৰি;
—'জিনিম শত্ৰুক, কিম্বা পৰিম ৰণত'—
বীৰশয্যা আছে পতা যশ-মন্দিৰত,
চিৰশান্তি চিৰকীৰ্ত্তি লভিবৰ গুণে!
সমুখীন সংগ্ৰামত উঠন পতন,
উভয়তে সমভাগ্য;—ভাগ্যধৰ আমি
আজি সকলোটি।—জিনিম জগত আহা,
আহাঁ আগ বাঢ়ি; নোৱাৰে ৰোধিব কেৰে
আমাসাৰ গতি।

সন্তান

ভাবৰ অস্থিৰে গঢ়ি জঁকা কল্পনাৰ
যযতনে প্ৰতিষ্ঠা হিয়াত;
চিন্তাৰে তেজক মথি মাংস বঙহৰ
থাপিথুপি দিলোঁ সি কায়াত।
মস্তিষ্ক মন্থন কৰি চেতনা-তাঁৰত
দিলোঁ আঁটি বুজনিৰ সুৰ;
ভাষাৰ ৰহণ সানি পূৰ্ণ আকৃতিত
চাওঁ দেখোঁ পূৰ্ণাকৃতি মোৰ!
ৰূপৱন্ত জনকৰ ৰূপহ সন্ততি,
উলাহত মাতে কোলা পাতি;
কুৰূপ জনকে দেখি আত্মঅনুকৃতি,
সমসুখ নাপায় নে মাতি?—
অপত্য চেনেহ, অহ, সমজুৱা ধন,
সকলো যে সমভাগী তাৰ;
জেউতিত নিয়ে কাঢ়ি আনৰ একণ,
জগতত সাধ্য এনে কাৰ?
ভাগ্যৱন্তে নৰদেহী লভে বংশধৰ,
মৃত্যুৰ পাচত ৰাখে নাম;
অভাগাৰ গ্ৰন্থদেহী লাভ সন্তানৰ,
সেয়ে যেন সাধে সেই কাম।

সামৰণ

लीला

প্ৰথম পাতনি

মূল অঙ্গৰ এচঁইীযা অৰ্দ্ধাঙ্গিনী আৰু যুটীয়া সহধৰ্ম্মিণীয়ে সাংসাৰিক লীলাৰ আদিছোৱা মাৰ নিয়াই স্বৰ্গী হোৱাৰ পাচত, বাকীছোৱা পোহৰাবলৈ বিধিৰ যি বিধান মোৰ অদৃষ্টত অঙ্কিত হৈ ৰৈছিল, আজি তাৰ পোহৰেৰেই আমাৰ স্বামী-গুৰুৱে অঁকা সাংসাৰিক আত্মলীলা-খেলাৰ চিত্ৰ ৰাইজৰ আগত পোহৰাই ধৰিবলৈ আগ বাঢ়িলোঁ। নতুন সেৱিকাৰ নতুন হাতত বস্তিৰ কঁপনি উঠি চিত্ৰটিৰ কোনো কোনো ভাগত ছাঁ পেলাব পাৰে, সেইবাবে ৰাইজৰ ওচৰত ত্ৰুটী-মাৰ্জ্জনা মাগিলোঁ। পাঠক-পাঠিকাৰ মনো-ৰঞ্জনৰ অৰ্থে স্বামীগুৰুৰ পূজনীয়া স্বৰ্গীয়া বাইদেৱাকৰ চৰণত ভক্তিৰে সৈতে উছৰ্গা কৰা গ্ৰন্থকৰ্ত্তাৰ ছবি এটি 'লীলা'ৰ খোপাতে পিন্ধাই দিলোঁ। এই প্ৰথম তাঙ্গৰণত বৈ যাব পৰা হীন-ডেটিবোৰ বযসত গুচাম বুলি আশা কৰিছোঁ। ইতি—

তেজপুৰ, অসম
২৫ পুহ, ১৮২১ শক

প্ৰকাশিকা

দ্বিতীয় পাতনি

প্ৰথম তাঙ্গৰণৰ 'লীলা' ওলাবৰ আজি ৩৭ ডেৰকুৰি-সাত বছৰ পাৰ হৈ যায়, আৰু যোৱা ভাগেমান বছৰ ই ছপাৰ-বাজ হৈ পৰি থকাত, আগ্ৰহী গ্ৰাহক-গ্ৰাহিকা আৰু পাঠক-পাঠিকা সকলৰপৰা সঘনে সাধনি পায়ো, সাংসাৰিক জঞ্জালৰপৰা আহৰি নোপোৱা হেতুকে, ইমান-দিনেও ইয়াৰ দ্বিতীয় তাঙ্গৰণ পোহৰলৈ উলিয়াব পৰা নাছিলোঁ, এতিয়া পূজনীয় স্বামীগুৰুৰ 'গোহাঞিবৰুৱা গ্ৰন্থাৱলী' প্ৰচাৰৰ সোণাময় ছেগ ধৰি, অনতিপলমে এই নতুন তাঙ্গৰণৰ 'লীলা' উলিয়াই ৰাইজৰ ওচৰলৈ আগ-বঢ়ালোঁ,—ইতিপূৰ্ব্বৰ ত্ৰুটীৰ বাবে যেন ক্ষমা পাওঁ। ইতি—

'পদ্মকুটীৰ', তেজপুৰ, অসম
২৫ বহাগ, ১৮৫৮ শক

প্ৰকাশিকা

সমৰ্পণ

এটি কায়া, তিনি ছাঁয়া ,—দুই অৰ্দ্ধাঙ্গিনী
দুই পাশে দুই বেশে একাঙ্গ পূৰাই
জ্বলিছিল দুটি দীপ,—জীৱন সঙ্গিনী,—
আধা আলো আধা ছাঁত অৰ্দ্ধাঙ্গ জুৰাই ,

*

এটি তাৰে এৰি গল অকালত ধৰা,
আৰোপি ইটিত বাব দুৱলীয়া লীলা,
পূৰ্ণ কৰি অৰ্দ্ধাঙ্গিনী স্বৰগৰপৰা,
ত্ৰিগুণা সংসাৰ কৰি পূৰ্ণ মহামেলা ,

*

অৰ্দ্ধেকৰো অৰ্দ্ধ সঙ্গী স্বৰ্গী লীলাৱতী
মৰ্ত্ত্যৰ অৰ্দ্ধেকী সতে একাকাৰ হই
হীৰক আকৰ কৰ জলে হীৰাৱতী,
সংসাৰ-ৰক্ষিণীৰূপা গৃহ-বস্তি লই ।

*

যুটীয়া জ্যোতিৰে যাৰ জিলিকিছে 'লীলা',
প্ৰকাশিত তাৰে হাতে হোক দীপ্তিমালা ।

—ৰচোঁতা—

লীলা

প্ৰথম সৰ্গ

বন্দনা

নেজানো পূজাৰ বিধি, বন্দনাৰ ৰীতি,
বীণাপাণি বাগ্দেৱী! চৰণ তোমাৰ
কিৰূপে পূজিম হাঁয়, বন্দিম কিমতে!
বুজোঁ অনন্ত কাল সঞ্জীৱনী বীণা,
গহীন জোঁকাৰে তাৰ কঁপাই বননি,
সবায় কতনা ফুল কবি-ফুলনিত।
সুৰ-বুজা আদিগুৰু স্বৰ্গী কবিগণে
সুৰ-সূতা বাছি লই ৰচিলে কতনা
সঞ্জীৱনী মালা; জ্বলন্ত জেউতি তাৰ
জিলিকে চৌপাশে, অহ, কাব্য-কাননত!
সি দীপ্তিৰ প্ৰভাৱত হই দীপ্তিমান,
আধ্য কবি সৱে, গুৰুপদ অনুসৰি,
গাঁথিলে কতনা আৰু দীপ্তিময়ী মালা,
অমৰ ছন্দেৰে বান্ধি। হাঁহে মাতৃভাষা
উল্লাহত আজি, পিন্ধি পুত্ৰে ৰচা হাৰ।
নুবুজোঁ বীণাৰ সুৰ,—মূৰুখ সন্তান,—
নকঁপে ফুলৰ ঠাৰি; নসৰে এপাহি,
বাজী ফুল, অভাগাৰ কল্পনা-বনত।
তথাপি হৃদয়-তন্ত্ৰী বাজি উঠে ঘনে,
মৰ্ম্মাহত চেপা খাই প্ৰিয়া-বিৰহত!
গুৰু-দীপ্তি আগ কৰি,—অন্ধৰ চকুত
যেনে প্ৰদীপৰ তাপ,—উমানে উমানে,
দুটি ফুল, এৰি যোৱা, পাইছোঁ বিচাৰি,-
গাঁথোঁ তাৰে এটি ধাৰ, গৰখীয়া মালা!
নোশোভে ই মাতৃকণ্ঠ; নুজুৰায় হিয়া;
থাকোক এপাশে পৰি, পাদপদ্ম চুই;—
দিয়া সুৰ দেৱী! ৰচোঁ দুখীয়াৰ মালা।

দ্বিতীয় সৰ্গ

সংকল্প

কি হাৰ ৰচিম হাঁয়, কি সম্বল মোৰ!—
দুদিনীয়া সাংসাৰিক লীলাৰ কাহিনী!
নহয় নতুন দেখা, অপূৰ্ব্ব ঘটনা;
তলোপৰ হই কত দিনে উঠে পৰে,
সৃষ্টিৰ চকৰি-যোঁটা। তথাপি, নতুন
দিনকে সুৰুয, নিতে নৱ দিন দিয়ে;
পুৰণি জোনায়ে নৱজোন নাম পায়
প্ৰতি মাহেকৰ পাচে। বছৰ নতুন,
বতৰ নতুন, নতুন চলতি ঋতু।
সি দৰে নতুন মোৰ লীলাৰ কাহিনী,
ঘূৰিব সততে ধৰি ঘটনা চকৰি।
লীলাময় সংসাৰত কোটি লীলা-ৰেখা;
কৰোঁ তাৰে অনুৰূপী লীলা-ৰেখ মোৰ,
অবিচ্ছেদ কৰি ছেদ এই জীৱনৰ,
—নগণ্য যদ্যপি গুৰু-দান ৰিজনিত—
মৰতত কৰোঁ এটি কাহিনী অমৰ,
অমৰে অমৰে মিলি মৰণে জীৱনে,
—চকুৰে নেদেখা দৃশ্য জায়া কুঁৱলীত—
আত্মাৰে আত্মাক ধৰি কাব্য কৌশলেৰে
—ইমানে, সংকল্প মাথোঁ ইহজনমৰ।

তৃতীয় সৰ্গ

সৃষ্টি-পাতনি

জানোঁ তো সৃষ্টিৰ লীলা বিধিৰ হাতত,
প্ৰকৃতি-পুৰুষ, যিবা-মানৱ-মানৱী।

সৃষ্টিৰ পাতনি ৰূপে মায়াৰ বিকাশ,
জগতৰ সৃষ্টি পাচে ; পাচে জীৱগণ।
স্বৰগ, মৰত আৰু পাতাল নামত,
ত্ৰিজগত নিৰমাণ ; ব্ৰহ্মাণ্ডৰ ভাগ।
স্বৰগত দেৱগণ, উচ্চতম জীৱ,
অনুপম ভোগ অধিকাৰী। সেই মতে
আবিৰ্ভাব, স্বৰগত প্ৰকৃতি-পুৰুষ ;
মৰতত একাকাৰ মানৱ সমাজ।
বহুকাল ভুঞ্জি পাচে প্ৰকৃতি-বিলাস,
বাঢ়িল সংসাৰ-মায়া দেৱ-সমাজত।
একাকাৰ মানৱৰ ধাৰেবোৰা সুখ,
দেখি হিংসা উপজিল দেৱতা প্ৰাণত।
দেৱতা-সেৱক নৰ ; তাৰ সুখ-শান্তি
অমৰ-বাঞ্ছিত! ৰিজনিত হিংসা-দ্বেষ,
লাজ-অপমানে দহিলে দেৱতা প্ৰাণ।
আৰোপিলে বিধাতাত পক্ষপাত দোষ।
অনতিপলমে গই দেৱকুলমণি
নিবেদিলে মনোদুখ বিধি সমীপত।
দেৱতা স্তুতিত হল, সুপ্ৰসন্ন বিধি ;—
প্ৰতিশ্ৰুত সৃষ্টিকৰ্ত্তা দেৱৰাজ পাশে,
ঘটাব সৃষ্টিৰ পুনু সংস্কাৰ যুগুত।
প্ৰণমি প্ৰভুৰ পদ, হৰিষ অন্তৰে,
উলটিল সুৰপতি পূৰ্ণমনোৰথ।
নামিলে বিধাতা পাচে, হেমকুট গিৰি ;
ললেহি আসন, জুৰি সৃষ্টি-গুণ-গান,
প্ৰকাশিলে দিব্যজ্যোতি, নৰলোক জুৰি।
উন্মত্ত মানৱকুল, উত্ৰাৱল চিতে
ছিটিকি চলিল হাঁয়, ঈশ-জ্যোতি পাশে,—
উতলা ফৰিঙ যেনে প্ৰদীপৰ ফালে!
চাপিল যেতিয়া কাষ নৰ-সৃষ্টি আঁহি,
সম্বোধি বুলিলা প্ৰভু সকৰুণ বাণী
"জানা, পুত্ৰ নৰগণ! সৃষ্টিৰ মহিমা ;
উদ্দেশ্য ইয়াৰ এক নিগূঢ় কাৰণ।
বহুৰূপে তুষ্ট মই, বহু নামধাৰী,
বহুৰূপী সৃষ্টি মোৰ ব্ৰহ্মাণ্ড বিয়াপি।
মানৱৰ একাকাৰ, নেলাগে মনত,
দেৱতাৰ অনুৰূপ বাঞ্ছোঁ মানৱত।
প্ৰত্যেক মানৱ দ্বিধা হোৱাঁ, আজ্ঞা মোৰ ;
এক হস্তে দুই যেবে,—প্ৰকৃতি-পুৰুষ।"
আজ্ঞা মাত্ৰে হল দুই, প্ৰত্যেক মানৱ,
প্ৰকৃতি-পুৰুষ সৃষ্টি, মানৱ-মানৱী।
সেই হস্তে অৰ্দ্ধাঙ্গিনী প্ৰথম স্ৰজন।
ইৰূপে স্ৰজিলে যেই মানৱ সংসাৰ,
আবৰিলে দুটি চকু মায়া-কুঁৱলীয়ে।
অপূৰ্ব্ব লীলা এক, -সংসাৰ-মহিমা,—
থিতাপিলে প্ৰতি প্ৰাণে অভেদ্য কৌশলে।
অনন্ত মায়াৰ মাজে লীলাবান নৰ,
লীলাৱতী নাৰী সতে কৰি সানমিল,
সমুদায় অৰ্দ্ধ-অৰ্দ্ধাঙ্গিনী, নৰ নাৰী,
সিঁচিলে চৌপাশে বিধি, আদেশি পুনৰ
"যোৱাঁ ঘূৰি অৰ্দ্ধ অঙ্গ, নিজ অৰ্দ্ধাঙ্গিনী
বিচাৰি মিলিবাঁ সৰে। মিলন-ফলত
পাবাঁ এক অতৃপ্ত সম্ভোগ। অন্ত তাৰ
নেপাবাঁ জীৱনে। পোহৰৰ জ্যোতি যেনে
বঢ়ায় আন্ধাৰে ; ৰূপহীৰ চৰে ৰূপ
কৃষ্ণ কেশপাশে ; সেই ৰূপে দুখ-তাপ,
ৰোগ-শোক, ভয়-ভ্ৰম, বিৰহ-সন্তাপে
চৰাব নিতকে সেই সুখৰ সোৱাদ।
ভাগ্যে যাৰ মিলে ঠিক নিজ অৰ্দ্ধাঙ্গিনী,
সুখ-শান্তি বন্ধা তাৰ পূৰ্ণমিলনত ;
নতুবা, অমিল ভাৱে অসুখী সংসাৰ।
পালিবাঁ আজিৰ হস্তে সংসাৰ ধৰম ;
চলিব এই সৃষ্টি-ৰীতি যুগ-যুগান্তৰ।"—
অন্তৰ্দ্ধান ভগৱন্ত। চলিলা বৈকুণ্ঠে।
মায়-কুঁৱলীত বুৰি বিভোল মানৱে
আৰম্ভিলে মহামেলা ;—সাংসাৰিক লীলা।

চতুৰ্থ সৰ্গ

সংসাৰ-পাতনি

জনমি কালত পাছে, অৰ্দ্ধ-অঙ্গ এই,
আৰম্ভিলোঁ মনুলীলা, বিধি-বিধানেৰে।
মায়া পৰশত পাহৰিলোঁ অৰ্দ্ধাঙ্গিনী;
নপৰে মনত আৰু পূৰ্ব্বজন্ম কথা।
মাতৃ-অঙ্ক শোভা কৰি, কল্পনা সঙ্গত,
কটালোঁ শিশুৰ কাল; পূৰ্ব্বসুখভাগী।
বাল্যকাল পাৰ হল, বাল্যবন্ধু সতে,
হাঁহি, নাচি, কান্দি, কিবা অৰ্থশূন্য ভাৱে
যৌৱন জোঁৱাৰে ক্ৰমে দিলে দেখা আহি
—ব্ৰহ্মপুত্ৰ ওভতনি' হৃদয় নিজৰা
উপচি পৰিল জুৰি হিয়াৰ ওপৰে, –
কত ভাব, কত কথা, কত উচ্চ আশা!
পৰ্ব্বতীয়া জুৰিপ্ৰায় প্ৰেমৰ আবেগ,
বিৰিঙ্গি বিয়পি গল অৰ্দ্ধাঙ্গ বিযাপি।
চৈধ্য বৰ্ষ পাচে মোৰ, লভিল জনম
সংসাৰ-বান্ধনী-লীলা, পুণ্য লীলাৱতী।
কুমলীয়া অৰ্দ্ধাঙ্গিনী, কোমল জ্যোতিৰে,
জিলিকালে পিতৃগৃহ, জিলিকি আপুনি,
বহুকাল নিসন্তান জননী কোলাত।
পৰিল চকুত যেই, মাযা-আৱৰণ
পাহৰিলে পূৰ্ব্বদশা, অৰ্দ্ধাঙ্গৰ কথা।
সৰল কোমল যত সৌন্দৰ্য্য-জেউতি
স্বভাৱৰ গাত সনা; সুগন্ধি বহণ,
প্ৰতি প্ৰাণে প্ৰতিভাত, পৰিয়াল জুৰি।
চৰিল জেউতি তাৰ, বয়সৰ লগে,
বিৰিঙ্গি অকণি ফোঁট, আবেগ লীলাৰ,
বিয়পি শীতল যেবে কৰিলে সংসাৰ।
ঢোপাকলি বিকশিত পুষ্পৱতী হই;
মধুৰ সৌৰভ তাৰ, মৃদু বতাহত,
বিচাৰি উৰিল নিজ পৰিমলভাগী।

পঞ্চম সৰ্গ

সাহিত্যসেৱাব্ৰত

শিক্ষাভাগ সাঙ্গ কৰি, স্বতন্ত্ৰ ভাৱে
জীৱন যাপন হেতু, দাসত্ব শিকলি
পিন্ধিলোঁ গৌৰব মানি;—ৰাজচৰ্ম্মচাৰী।
এৰিলোঁ জনম ঘৰ, পৰমুৰে খোৱা
নহয় পৌৰুষ বুলি পূৰ্ণ যৌৱনত।
পিতৃ মাতৃ গুৰুজন, বৃদ্ধ বয়সত,
আশ্ৰিত পালিত হব সযত্নত মোৰ,
সাধন সমাজ হিত, স্বদেশ কল্যাণ,
আৰু কত উচ্চ আশা,—দান, ধৰ্ম্ম, দয়া,
দুখিতৰ সেৱা, কৰি ব্ৰত জীৱনৰ,
হলোঁ বাজ সংসাৰৰ বাবেঁ ধৰি গতি।
শুনিছিলোঁ পৰ্ব্বতবৰ্ণনা, নদীগুৰি,
গুহা, বনভাগ, গহীন প্ৰকৃতি কথা
গুৰুদেৱ মুখে, আছিলোঁ ছাত্ৰ যেবে।
আঁচিছিলোঁ মনে মনে চিত্ৰপট তাৰ,
কল্পনা তুলিৰে। কি যে শান্তি উপভোগ,
মনে পাতি চাই, নিটাল প্ৰকৃতি ৰূপ!
শিলনি বুকুত বই পাকনীয়া জুৰি,
প্ৰকৃতি হিয়াত অহ, কত ৰাজ্য ঘূৰে;
পাকে পাকে তুলি তাৰ মনমোহা ভাগ!
—কল্পনা-ৰথত চৰি চাওঁ প্ৰাণ ভৰি।
প্ৰকৃতে পৰিল যেবে, মানৱী চকুত,
মনেপতা মনমোহা, প্ৰকৃত পৰ্ব্বত,
জীৱন পথত মোৰ, উদ্দেশ্য গতিত;
কি যে ভাব, বৰ্ণনা অতীত, বিৰিঙ্গিল
হৃদয় তলিত! সেই ক্ষণ হস্তে হায়,
উথলিল হৃদয়ত কি যে এটি ভাব,
আতিকে মহান্, সৃষ্টিৰ মাহাত্ম্য তাত
উঠিল উথলি। শুনিছিলোঁ মনপাৰি
বহুকাল আগে, ঈশ্বৰ-মহিমা-লীলা,

পিতৃদেৱ মুখে। পশা নাই তত্ত্ব তাৰ,
অতকাল হৃদয় তলিত, সংসাৰৰ
আৰ্ত্তৰাৱ ভেদি। উদ্ভাসিল এই বেলা,
গহীন প্ৰকৃতি ভেদি, গভীৰ সি ভাব।
বিৰিঙ্গিল ঈশ-জ্যোতি প্ৰকৃতি বুকুত,
অপূৰ্ব্ব জেউতি তাৰ প্ৰতি স্তৰে স্তৰে,
প্ৰতিভাত হল হাঁয়, ব্ৰহ্মাণ্ড বিয়াপি।
পাহৰিলোঁ কৰ্ম্মজ্ঞান, সংসাৰ খেতৰ,
ৰিণিকি জিলিকে মাথোঁ, উদ্দেশ্য মহান্।
হৃদয় পূৰণ কি যে পৱিত্ৰ ভাবত,
বিভোল পৰাণ শুনি ঈশ-গুণ-গান।
সলালোঁ মনৰ গতি। ভবিষ্য সংসাৰ।
মনে-প্ৰাণে দিলোঁ বাদ, জীৱনৰপৰা।
কৰ্ত্তব্য পালন,—পূজি সৃষ্টিৰ মহিমা—
কৰি ব্ৰত হলোঁ প্ৰতিশ্ৰুত। আচৰিত!—
হৃদযৰ গুপ্তভাব হল প্ৰতিভাত,
নিজম প্ৰকৃতি ব্যাপি। তটিনী বুকুত
শুনোঁ শলাগনি, গুপুত মহান্ ভাব।
—সেই এটি মহাক্ষণ, এই জীৱনৰ।
আৰম্ভিলোঁ ৰাজকাৰ্য্য, জীৱিকাৰ হেতু,
বিদ্যাৰ বিস্তাৰ আৰু সাধন কাৰণ।
সাহিত্য-সেৱাত পাচে উছৰ্গিলোঁ প্ৰাণ,
সাৰ কৰি সমুদায় উদ্দেশ্য মনৰ।

ষষ্ঠ সৰ্গ

প্ৰকৃতি-বিভৱ

সুন্দৰ সি নাগৰাজ্য, শ্যাম পৰ্ব্বতত,
কহিমা নামেৰে ঠাই, বৃটিচ্ নগৰ,
একে নামে নগা-চাং ধৰে শিতানত।
আতিকে সৰল তাৰ নিজাপি সুজন,
উলঙ্গ সন্ন্যাসী, অহ, উদাৰ ভাবত,
ঘিণায় কৃত্ৰিম শোভা সভ্যতাৰ সাজ।
বনৰ হৰিণা সতে সৰল প্ৰাণেৰে,
সমানে বিহাৰ কৰে বিজান প্ৰকৃতি।
নিজৰানিস্থত, নীৰ, অমৃত সমান,
সুখ-খাদ্য ফল-মূল, প্ৰকৃতি-বিভৱ,
দুয়োৰে সমান ভাগী, দুয়ে বনচৰ।
গভীৰ গহ্বৰ ভেদি অত্যুচ্চ বিৰিখে
সমথল সমানত হই একাকাৰ,
ধৰে শোভা বিতোপন। আবেলি বেলিকা
হেঙ্গুলি ৰহণে যেবে তিৰ্‌বিৰ্ কৰি
শোভে শীতল পাটীটি,—চেঁচনি বুকুৰে—
ইচ্ছা হয় লওঁ শান্তি ক্ষন্তেক বাগৰি,
অতৃপ্ত সুখৰ ভোগ ভোগোঁ প্ৰাণভৰি।
আলাসত ভ্ৰমি ফুৰা মেঘদূতগণ,
উলাহত উৰি ফুৰে বাতৰি বিলাই
অযাচিতে কাৰোবাৰ, আপোন-পাহৰা
কৰে কাৰোবাক, হাঁয, আপোন পাহৰি।
চাপিলে ওচৰ দেহি, সুকোমল হিয়া
যায় পমি আবেগত!—ৰহস্য অপাৰ।
দূৰণিৰ দৃষ্টি-ৰেখা, মন-চিত্ত হৰা,
চাওঁতে চাওতে, অহ, শ্যামা প্ৰকৃতিয়ে
নিশ্বাস্ নিৰোধি যেন প্ৰাণ কাঢ়ি লয়।
আৰু যত সৌন্দৰ্য্যৰ গুপুত সম্ভাৰ,
উদিয়াই শাৰী শাৰী পাতিছে পোহাৰ,—
কিনোতা মানৱ প্ৰাণ, বেচোঁতী প্ৰকৃতি।
অৰক্ষিতে আছে পৰি,—সাধ্য কিন্তু কাৰ
লয় তুলি কিবা এটি, সলনিত তাৰ,
নেবেচিলে মন-প্ৰাণ,—একমাত্ৰ বেচ।

সপ্তম সৰ্গ

বৈৰাগ্য-আবেগ

ইভাৱে কৰিলোঁ পাৰ বৰ্ষ দুইমান
সঁপি মন-প্ৰাণ, কৰ্ত্তব্য পালন হেতু।
ভাবিছিলোঁ, সৃষ্টিৰ মহিমা ৰূপী যিবা
প্ৰকৃতিৰ শোভা, কৰি মোৰ সাৰ-পূজা,

উদ্দেশ্যৰ পাচে লবোঁ ; উন্নতি মাৰ্গত
চিৰকাল অৰ্দ্ধাঙ্গৰ পালি মহাব্ৰত।
সংসাৰ-জঞ্জালশূন্য,— মুকলিমূৰীয়া—
শোক-তাপ, ভৱ-ভয়, বিৰহ-সন্তাপ,
নাছিল সমূলি তাৰ অশান্তিৰ ছাঁয়া।
পাঙ্গিছিলোঁ, আজীৱন যাপিম ইদৰে।
অৰ্দ্ধাঙ্গ বৈৰাগী জন চাপিলে ওচৰ,
উদঙ্গাই হিয়া মোৰ, মিলাওঁ কামনা,
আনন্দ নধৰে প্ৰাণে, ভাব-মিলনত,
মনে-মনে প্ৰাণে-প্ৰাণে, হিয়ায-হিয়ায।
সংসাৰী বান্ধৱে যেবে অশান্তি প্ৰলাপ,
মেলেহি আগত মোৰ সান্ত্বনা প্ৰত্যাশে,
বচন বুজনি মাথোঁ —বান্ধৱ ধৰম. -
নহয় সি শোক-তাপ প্ৰাণে অনুভৱ।
ইদৰে বৈৰাগ্য ছাঁত থাকোঁতে পাহৰি
অৰ্দ্ধাঙ্গিনী কথা মোৰ,—কোনোবা যুগৰ
সুগন্ধি সৌৰভ তাৰ ভাহিল বিয়াপি
প্ৰকৃতিৰ কাম্য কাননত, বিযাপিল
পৰিমল, চউপাশে এই অৰ্দ্ধাঙ্গৰ।
পৰ্ব্বতীয়া জুৰি প্ৰায় এৰি হৃদিগুহা,
প্ৰবাহিল প্ৰেমনদী প্ৰতি সিৰে সিৰে,
উতলি ভিতৰি এক আবেগ হিয়াৰ।
শিয়ঁৰি উঠিল প্ৰাণ,—কিজানো কি ভাৱে-
নীৰৱে বিনালে হাঁয়, নিফুঁট সুৰত।
শুনালোঁ প্ৰবোধ বাণী, উদ্দেশ্য প্ৰাণৰ,
জীৱনৰ মহাব্ৰত কৰালোঁ স্মৰণ।
নীৰলে পাতিলে কাণ, কান্দিলে নীৰৱে,
মনে মনে অৰ্দ্ধাঙ্গৰ অৰ্দ্ধেক পৰাণে,—
উত্ৰাৱল হৈয়ে ৰল, অৰ্দ্ধাঙ্গিনী ধ্যানে।
কল্পনা-চকুৰে চালোঁ প্ৰিয়া-অনুকৃতি
পূৰ্ব্ব প্ৰকৃতিত, অপূৰ্ব্ব জেউতি তাৰ,
সৃষ্টি-লীলা ছাটি ধৰি, সাংসাৰিক লীলা,
বিৰিঙ্গি উঠিল হাঁয়, ব্ৰহ্মাণ্ড বিয়াপি।

অষ্টম সৰ্গ

সংসাৰ-পাতনি

ইহেন সমস্যা লই থাকোতে বিমোৰ,
পিতৃ আজ্ঞা বিবাহৰ পালেহি ওচৰ।
প্ৰতিহত নদে যেন ভাঙ্গি বালিভেটা,
নিৰ্ব্বিবাদে পিতৃ-আজ্ঞা ধৰিলোঁ শিৰত।
সিৰে-বোৱা আবেগৰ শতধাৰা সোঁত,
বাগৰিল দুটি ধাৰে, দুগাল চোৱাই।
মুহূৰ্ত্তে আহিল চিন্তা, দেখা নাই আগে
কি ৰূপ ধৰিছে প্ৰিয়া। চিনিম কি মতে,
অৰ্দ্ধাঙ্গিনী বুলি মোৰ? -মায়াযুত চকু!
আৰু
নিৰুপায়,—পাত্ৰী বাছনিৰ ভাৰ
পিতৃ দেৱতাত। পিতৃগুৰুদেৱে যেবে
পাচিলে আদেশ বাণী পুত্ৰশিৰলই,
কি সাধ্যে অন্যথা কৰোঁ জন্মগুৰু-ডাক।
ললোঁ খোজ ধীৰে ধীৰে, ভৱিষ্য নেভাবি,
চিন্তি মাথোঁ মনে-প্ৰাণে বিধিৰ বিধান;
যাৰ ইচ্ছা অনুসাৰে সৃষ্ট অৰ্দ্ধাঙ্গিনী।
কহিমা শিখৰ এৰি নামিলোঁ ভৈয়াম;
নতুন উদ্দেশ্য লই নৱ আবেগত।
ভিতৰি আশঙ্কা এটি জলে মিট্‌মিট্‌,।
অঘটন ঘটে জানো,—অন্য অৰ্দ্ধাঙ্গিনী!—
আচৰিত, বাছনিত পৰিল সঁচাকে',
অন্য এক অৰ্দ্ধাঙ্গিনী মানৱ চকুত!
সাধ্য কি প্ৰকৃত ধৰে মায়াৰ মানৱে!
ভাগ্যে মোৰ কিন্তু হাঁয়,—বিধিৰ লিখন,—
লৰিল যতেকমানে মানৱ ব্যৱস্থা;
ললেহি আপুনি যেন, পাত্ৰীৰ আসন,
অৰ্দ্ধাঙ্গিনী লীলা মোৰ, আচম্বিত ভাৱে;
পূৰ্ব্ব-প্ৰেম লীলা-খেলা লই লীলাৱতী!
জনমত দেখা নাই; তথাপি প্ৰাণত
অদৃশ্য ধাৰেৰে বলে মিলনৰ সোঁত;—
চিনিলে আত্মাই মোৰ, অৰ্দ্ধ-আত্মা তাৰ।

নৱম সৰ্গ

বিবাহ-বান্ধোন

দেখিছিলোঁ বিবাহৰ কত ৰীতি-নীতি,
বৰ-ব্ৰত-ধৰা কত বান্ধৱ জনৰ।
বুজা নাই মন-প্ৰাণ কি যে কৰে তাৰ,
কি ভাৱে নচায় হিয়া, বিয়া-মহাদিনা।
সুখ-দুখ, লাজ-মান, আনন্দ-বেজাৰে,
একাকাৰে উলাহত কৰি তিৰ্‌বিৰ্‌,
কঁপালে হৃদয় মোৰ, কঁপিল শৰীৰ,
মাতৃয়ে যেতিয়া হাঁয়, ধৰিলে আঁচল
বেঙ্গ-ঘূৰণিত; নাৰী মণ্ডলৰ মাজে।
সুমধুৰ গীত-বাদ্য, ৰাগিণী পঞ্চম,
কোকিলৰ কুহু ৰাৱ, কবিতাৰ সুৰ,
বাজিছিল প্ৰাণে মোৰ, অমৃত সমান।
কামিনীৰ কণ্ঠে কিন্তু ঢালিলে যি সুৰ
সিখিনি পৰত, নেপাওঁ উপমা তাৰ,
গীত, ৰাগ, কুহু ৰাৱ, কবিতা সুৰত!
মধুৰ মোখনী তাৰ, মঙ্গল-উৰুলি।
ইৰূপে দু-ৰাতি আৰু গল তিন দিন,
পবিত্ৰ বৰৰ ব্ৰত কৰি আচৰণ,
দেৱতা সদৃশ্‌ হাঁয়, মানৱ-জীৱনে;—
ভাবিলোঁ মানৱে এদিনা দেৱত্ব পায়!
আগে-পিচে হাঁহে-নাচে, আনন্দ অপাৰ!
অদ্ভুত কি বস্তু হলোঁ! বেৰি বেৰি মোক
জোমা-জুমি, চোৰা-চুই মন্তব্য প্ৰকাশ!
স্বপ্নৱত অনুভৱ, দিঠকৰ প্ৰাণে;
ভিতৰি আবেগ এটি, জীৱন্ত জাগ্ৰত,
উগুলথুগুল কৰি, কি যে কৰে হিয়া!
অৰ্থশূন্য ভাব তাৰ, নেদেখা উদ্দেশ্য,
বাহ্যিক চকুত তাৰ, নেদেখা ছাঁয়াটি,
অব্যক্ত ভাবৰ সুৰে নীৰৱে বিনায়!
মুখত নুফুটে কথা; হিয়াৰ আবেগ
কপালে বিৰিঙ্গি হাঁয়, পৰিল বাগৰি,
প্ৰিয়তমা অৰ্দ্ধাঙ্গিনী, অৰ্দ্ধাঙ্গৰ বাবেঁ,
ললেহি আসন যেবে সমাজৰ মাজে।
দীৰ্ঘ ওৰণিক ভেদি জিলিকনিটিয়ে
উদঙ্গালে হিয়া মোৰ; হল প্ৰতিভাত
প্ৰিয়তমা অনুকৃতি, হৃদয়-ফলিত।
শান্তিৰ শীতল তেজ বলে প্ৰতি সিৰে।
অঙ্গে-অঙ্গে পৰশন, যেবে হাতে-হাত;
পুলকিত মন-প্ৰাণ, অস্থিৰ শৰীৰ;
আবেগৰ উলাহত দুয়ো অঙ্গ কঁপে;
টলবল প্ৰাণ হাঁয়, হাত থৰবৰ!
বিদ্ৰূপ-চাহনি হানে, সমুখৰপৰা,
সমনীয়া বন্ধুজনে, পেলাই ঠেকত!—
লাজে মুছ্‌কঁছ্‌ হাঁয়, গুৰুজন আগে।
প্ৰাণে-প্ৰাণ হল বন্ধা, দাম্পত্য বান্ধেৰে;
দেখালে বাহিৰে পুণ্য মিলনৰ চিন্‌,—
পবিত্ৰ সি গঠ্‌গাথি, পবিত্ৰ ভাবৰ।

দশম সৰ্গ

পূৰ্ণাঙ্গ-গঠন

প্ৰথম মিলন দিনা, পোনে দেখা-দেখি,
সঙ্কুচিতা অৰ্দ্ধাঙ্গিনী অৰ্দ্ধাঙ্গৰ পাশে।
পাহৰিল পূৰ্ব্বভাব, একাঙ্গ যেতিয়া,
কোনোবা যুগত। মায়াৰ ঢাকোনে আৰু
ধৰে নিলগাই, নিচিনা ভাবৰ ফালে।
নেচাওঁ যেতিয়া মই, মুখলই মোৰ,
একেঠৰে থাকে চাই, হেঁপাহ চকুৰে।
চকুত পৰিলে চকু, কৰে তলমূৰ,
ধৰা-পৰা চমকনি খাই। এটি হাত
আদৰেৰে চপাই বুকুত, সোধোঁ কিবা,—
আবেগ উগাৰি উঠে,—নেমাতি উত্তৰ
দিয়ে কপালৰ ঘামে। বুকুত মুখানি
ধৰি হেঁপাহ বান্ধেৰে, ঘনে সোধোঁ কিবা!—
উছাহ, আবেগ, কিবা, কিজানো, কি ভাবে,

'ওঁ-হুঁ-ওঁ' তানে এটি সুৰ, ঘন-উশাহেৰে,
নাকেদি বাহিৰ হল, তালু-ফুটা ৰাগি!
বুজিলোঁ হিয়াৰ ভাব, হিয়া ভিখাৰীয়ে।
কি যে সুখ, কি যে শান্তি, কি যে অনুভৱ,
অৰ্দ্ধাঙ্গ মিলনে হাঁয়, অৰ্দ্ধাঙ্গিনী সতে!
শিৰে-দ্ৰাণে, গালে-মুখে, প্ৰতি অঙ্গভাগে,
পৱিত্ৰ মিলন জ্যোতি প্ৰকাশি দেখালে,—
পূৰ্ণাঙ্গ গঠন পুনু বিধিৰ বিধানে।

একাদশ সৰ্গ

ওলটা যাত্ৰা

সমাপন শুভকাৰ্য্য। দিন তিনি পাচে
ৰঙপুৰী বহাঘৰ এৰি দিহাদিহি,
পিতৃ-মাতৃ চৰণত লভিলোঁ আশীষ।
উলটিলোঁ প্ৰিয়া স'তে পৰ্ব্বত উদ্দেশি,
ৰাজকাৰ্য্য য'ত। বাটকুৰা দিন চাৰি,
জ্যেষ্ঠাৰ সঙ্গত। নাছিল ভাবনা মোৰ
পথ-সম্বলৰ, সহোদৰা যতনত।
দিন সাত জিৰণিত; জ্যেষ্ঠাৰ বহাত,
গোলাঘাট চহৰত। কৰিলে শুশ্ৰূষা
দেৱী, নিজ মাতৃৱত, অপত্য স্নেহত।
জ্ঞান-উপদেশ দিলে নৱ সংসাৰৰ,
দ্বাদশত-ভৰি-দিয়া নৱ বোৱাৰীক।
বন্দি পাদ-পদ্মযুগ মাগিলোঁ বিদায়;—
আহিলোঁ যোজন পথ, এৰি সেই ঠাঁই।
পতি, পত্নী আৰু এটি লগুৱা সাৰথি;
গো-যান বাহন। প্ৰৱেশিলোঁ আহি ক্ৰমে
অৰণ্যৰ মুখভাগ, সন্ধিয়া পৰত।
দোৰ্ঘোৰ বাৰিষা; তাতে কৃষ্ণপক্ষ কাল,—
দ্বিতীয়াৰ অন্ধকাৰ ৰাতি। পঙ্কাকুল
বাট-ঘাট, নাই কতো থিয়-দিয়া ঠাই।
ঘুঘুৰে গাড়ীৰ চকা, নেটানে বলদে;
অসহ্য যাতনা মাথোঁ নিমাখিত প্ৰাণে!
নিৰুপায়, নিসহায়, আন্ধাৰ জগত!
বুদ্ধিৰ মূলত পৰিল কুঠাৰৰ ঘাপ্;
গ্ৰাসেহি আপদে যেন ঘোৰ মূৰ্ত্তি ধৰি।
আতুৰা লীলাৰ মুখে আতুৰে ফুটিল,
"ই কি লীলা বিধাতা তোমাৰ!"—দেখা গল,
পজা এটি, এছলীয়া, বাটৰ কাষত।
চাপিলোঁ ওচৰ তাৰ, প্ৰবোধি মনক;
বিচাৰিলোঁ যথাৰত জিৰণি যুগুত।
চিন্তা নাই মোৰ হন্তে; বিদৰিল হিয়া,
দেখি প্ৰিয়া-মুখ হাঁয়, আতঙ্কত ম্লান।
বঞ্চিলোঁ সি ৰাতি, অনাহাৰে উজাগৰে।
কুমলীয়া লীলা মোৰ ভয়-ভাগৰত,
নতুন বিপদ মুখে, নতুন পথিক,
ক্ষন্তেক জিৰণি লগে, শঙ্কাকুল প্ৰাণে,
শিতান কোলাত মোৰ! নীৰলে, নীৰৱে,
আছোঁ চাই লালকাল মুখানি প্ৰিয়াৰ!
'গাড়োৱান' গাড়ী স'তে, লগুৱা কাষত,
টোপনিৰ তাল-ধৰা। জলে এটি বন্তি
ছালিৰ ছালত অৰা। লাজুকী জোনায়ে
ভুমুকনি মাৰে, ডাৱৰ-ওৰণি ফালি।
সেই সুযোগতে হাঁয়, প্ৰিয়া-মুখ-জ্যোতি
চাওঁ প্ৰাণভৰি, মিলাই আদৰ্শ সতে;
নিমিষে নেদেখা হওঁ, অপায় শতেক,
আনন্দ নধৰে প্ৰাণে। পৰিল একলা
সৃষ্টি-লীলা-জ্যোতি, কোলাৰ লীলাত মোৰ।
পূৰ্ণাঙ্গত গল মিলি, সাংসাৰিক লীলা,
অন্তৰত লয় যেন প্ৰশ্বাসৰ বায়ু।
চমকি উঠিলোঁ পুনু, আতঙ্ক প্ৰাণত,
সমুখত ৰুদ্ৰমূৰ্ত্তি যেন দেখা পাওঁ!
সঙ্কেতে বুজালে হাঁয়, সংসাৰ-বিপদ,—
অন্ত নাই, আছে আৰু ছেগ অপেক্ষাত।
হৃদয়ত বান্ধি বল, লাগিব যুঁজিব,
বিপদৰ ধুমুহাৰ প্ৰতিকূলে গতি।

অকস্মাৎ গৰ্গৰ্ গভীৰ গাজনি ;
বেঁকাবেঁকি চমকনি, বিজুলী ৰেখাৰ ;
মাজে মাজে ঢেৰেকনি, কাণ-টাল-মৰা ;
আৰু যত বিপদৰ গহীন পাতনি
প্ৰকৃতিৰ ভাগে ভাগে বিৰিঙ্গি ওলাল।
বিপদীয়া এটি জীৱ সজাগৰে মাথোঁ
লাগিলোঁ তবধ। ভাবিলোঁ সৃষ্টিৰ লীলা,—
এনেয়ে কি সংসাৰৰ ধাৰেবোৰা সুখ!
থাকোঁতে নিটাল মাৰি, ভাবত বিভোল,
শোঁ-শোঁ শব্দে ধুমুহাৰ ঘোৰ গোজৰণি
আহিল পাকনি মৰে, বলেৰে প্ৰৱেশি
পজাৰ ভিতৰ। ক্ৰোধৰ কাৰণ তাৰ
নুবুজিলোঁ একো। থমকনি খাই উঠে
বস্তিৰ পোহৰ, বিলাতী দাপোণ তলে।
ভয়ত ঘুকুচা-খোৱা, মাদলীটি যেন,
নিদ্ৰিতা পথিক লীলা, উচপনি খাই
উৰুত সাবটি ধৰে, টোপনি ভোলত,
বিপদৰ ধৰি গম্, শঙ্কাকুলা প্ৰিয়া।
চাওঁতে চাওঁতে হাঁয়, উগ্ৰমূৰ্ত্তি ধৰি,
ঘূৰিলে পৱন পুত্ৰ, প্ৰলয়-সংহাৰী।
ঘূৰণি পাকনি কত, নিঠুৰ ভাবৰ ;
প্ৰকাশি প্ৰলয় বল, উৰালে পজাটি,—
নিলগত ঠান্বান্ এছলীয়া ছালি!
ক্ৰোধত চেপনি শালে কৰ্ কৰ্ কৰি,
ছেপিলে যতেকমানে আকাশী ভাৰৰ ;
বৰষিল ধাৰাসাৰে, উদং শিৰত,
বিপদৰ বৰষুণ, দুৰ্য্যোগ ছৰাই!
চমকি উঠিল লীলা। আৰ্ত্তৰাৱ এটি
হৃদয় বিদাৰি মোৰ উঠিল গগনে।—
আজিও বাজিছে হাঁয়, প্ৰতিধ্বনি তাৰ
হৃদয়ৰ অন্তস্থল জুৰি। সুধিলোঁ মনতে,
"তোমাতে কি থিতি, মোৰ সাংসাৰিক লীলা,
অতনা দুৰ্য্যোগ খেলা, মায়া-সংসাৰৰ?"

দ্বাদশ সৰ্গ

'গৰম পানী'

পৰিল নিজম পুৱা, সৃষ্টি-উৎপাত,
মিটিকালে বতৰৰ কলা-পৰা মুখে।
সলালোঁ গাড়ীৰ গৰু, 'গাড়োৱান' তাৰ,
নতুন যোগান লই, আগুৱালোঁ পুনু,
নতুন উছাহে ধীৰে-শাঁতে। মিটিকালে
ধীৰে ধীৰে সাংসাৰিক লীলা। পাহৰিলোঁ
পাৰ হোৱা সৃষ্টি-লীলা, অপায় অপাৰ।
দ্বিতীয় যোজন পথ, ক্ৰমে অতিক্ৰমি,
পালোঁ গই পুণ্যস্থান, আতি বিতোপন,
নামত 'গৰম পানী'। পৱিত্ৰ নিজৰা
উতলিছে সদা। তাপিত হিয়াৰ যেন
উগাৰিছে শোক-অশ্ৰু ধৰণী মাতৃয়ে।
পৱিত্ৰ ধাৰেৰে তাৰ বাগৰিছে নই ;
চেঁচনি উপমা ধৰা। হিয়া তাৰো হাঁয়,
উতলা তাপত! হৃদয়ৰ তাপ-ভাপ
পৰিছে উপচি যেন, পানীকৃত হই,
আত্ম-বুজনিত। নৰৰ আদৰ্শ থল।
চউপাশে বনভাগ গহীন গম্ভীৰ,
চৰিছে নিজম ভাব শান্তি-প্ৰকৃতিৰ।
গঁড়ালত বন্ধা থকা ৰাজহংস জাকে
লভিলে মেলানি যেনে পুখুৰী পানীত,
ওপঙ্গি বিভোল হয়, উলাহিত মনে ;
কোলাৰ শিশুৱে নামি পালে ধূলি-খেলা,
কোমল প্ৰাণত যেনে আনন্দ নধৰে ;
সামাজিক গঁড়ালত বন্ধা থকা নাৰী,
গাড়ী-গঁড়ালৰপৰা চালুকীয়া লীলা
নামিল যেতিয়া গই নিজৰা পাৰত,
উপচি পৰিল প্ৰাণে আনন্দ অপাৰ,
আচৰিত শোভা দেখি সৃষ্টি-লীলা গাত!
নীৰৱে নিটাল মাৰি চায় চউপাশে,
চাহনিৰ কেন্দ্ৰ ৰাখি নিজৰা বুকত ;

সদায় জেউতি ক্ষণে মুখ-দাপোণৰ,
কি যে ভাব কিবা কথা খেলাই প্ৰাণত !
আছিলোঁ নীৰৱে চাই লীলা-মিলামিলি,
নিলগৰপৰা। অপূৰ্ব্ব মিলন জ্যোতি
প্ৰতিভাত অহ, সংসাৰী-প্ৰকৃতি-লীলা !
প্ৰাণে-এৰা দেহাপ্ৰায়, ভাবত বিভোল,
আছিলোঁ পুতলা হই। উত্ৰাৱল প্ৰাণে,
উৰি আহি হাঁয়, সাবটি ধৰিলে ডিঙ্গি,
ভাবে-ধৰা লীলা মোৰ, বাহুলতা-মেলি।
বিচাৰিলে মিথামুখে, তাপ-নিজৰাৰ,
অপৰূপ সৃষ্টি-লীলা উদ্ভৱ কাৰণ !
বুজালোঁ সাদৰে ; বুজিলোঁ যি ভাৱে মই
কবিৰ কল্পনা ধাৰে লই, পৃথিবীৰ
তাপভৰা অন্তৰৰ কথা। লীলা মোৰ
আপুনি কবিতা। মিলিলে কল্পনা বিভা,
সৌন্দৰ্য্য বুকুত যেনে প্ৰকৃতিৰ শোভা !
শলাগিলে ব্যাখ্যা মোৰ, শলাগী-হাঁহিৰে।
কি যে ভাবে হিয়া মোৰ কৰিলে বিভোল !
বুকুত চপাই ধৰি, হাঁহি সুৰগাৰে,
দিলো এটি হিয়া-চেপা, আবেগ বান্ধেৰে ;
শুজিলোঁ শলাগ-ঋণ। লগালে লীলাই,
পুনু বেঁকা চাহনিৰে, ওপৰঞ্চি ঋণ ;
ওঁঠেৰে অমিয়া চুহি দিলোঁ প্ৰতিদান।
সুমৰি চমকি প্ৰিয়া, জুৰিলে আলচ,
আহাৰ ব্যৱস্থা কথা। ভাগিল নিমেষে,
দিঠকৰ স্বপ্ন মোৰ, অতৃপ্ত সুখৰ।
দিহালোঁ যুগুত, যিবা প্ৰৱাস সম্ভৱ,
ৰান্ধোনৰ আগলি যোগান। প্ৰিয়া মোৰ
শুদ্ধভাৱে উঠিল ৰান্ধনী।—জীৱনত
গৃহিনী ৰান্ধনী পোনে' নিজৰা পাৰত !
উতলি অন্নৰ পাক মিলে বক্‌বক্,
প্ৰকৃতি ৰান্ধোন শাল, নিজৰাৰ সতে ;
মিলিল ৰান্ধনী দুটি, লীলা-প্ৰতিভাৰ।
চৌচনি চাহনি মাৰি একলীয়া হই,
-পলালোঁ চেঁচনি চকু, সজাগৰে থকা,
হিয়াৰ পোৰণি আৰু, বিপদ হেঁচাত।
বহিলোঁ পাতত পাচে, পাত আসনত,
পৰিল যেতিয়া মোত্ ভোজনৰ ডাক।
সমুখত বহি লীলা ধৰিলে যোগান,—
বিশ্বেশ্বৰ পাতে যেনে অন্নপূৰ্ণা ৰাণী।
অপূৰ্ব্ব ভোজন সুখ ভুঞ্জালে প্ৰাণক,
ক্ষুধাৰ অগনি সতে শান্তি-সুধা মিলি,
প্ৰিয়া-সুগন্ধত। দেখিলোঁ জগত তুষ্ট
অৰ্দ্ধেক ভাগত, অৰ্দ্ধ-আত্মা তুষ্ট যেৱে।
বহিলোঁ সুস্থিৰ হই এপাশে নীৰৱে।
ধোঁৱাপান আয়মেৰে। ইহাতে মুহুৰ্দি।
নোচাৱাৰ ভাৱে চাওঁ, বেঁকা চাহনিৰে,
পৰ্ণ-আত্মা তুষ্ট হোৱা, প্ৰিয়া-ভোজনত ;—
লগুৱাক অন্নদান কৰি সমাপন,
অৱশিষ্ট ভাগ মোৰ, ভোজন পাতত,
পৰম সন্তোষে অহ, ধৰিলে চপাই,—
সাক্ষাৎ দ্ৰৌপদী, অতিথি-ভোজন পাচে !
ধোঁৱাতান দীঘলীয়া ; থাকি থাকি ৰয়,
ভাবৰ কঁপনি লাগি। বাগৰি পৰিল,
মুহুৰ্দি হাতৰ ; দিঠকৰ সপোনত,
মুকলি হাতৰ মুঠি ! নাচনী চকুৰে
ধৰে থিৰ ভাৱ ; ভেলেঙ্গী-চাহনি ধৰি,
একেঠৰে ৰল চাই প্ৰিয়া-মুখলই।
পৰিলোঁ বিষম ধৰা, চকুত চকুৰে ;
কোঁচালে থোৱালি হাত, লাজুকী লীলাই,
লাগি লাজ-সিৰামুৰি। লুকালে মুখানি
ওৰণি আশ্ৰয় টানি। বাজিল প্ৰাণত
অনুতাপ শেল, ভোজন-বিঘিনি হই।
লৰি গই কাষলই, বুজালোঁ কতনা,
কতনা উছাহ কথা, মৰমেৰে সনা।
কতনা যতন পাচে কত চিপিয়নি,
অনুৰোধ ৰাখে মোৰ। বিফল বাসনা ;
লজ্জাৱতী লীলাৱতী, নোৱাৰিলে হাঁয়,

এৰাব লাজৰ হাত। হলোঁ এফলীয়া,
অগত্যা আঁতৰ হই, ইচ্ছা প্ৰতিকূলে।
পূৰ্ণ বন-ভাত ৰান্ধনী ভোজন পাচে;
তুষ্ট হল পূৰ্ণ আত্মা, পূৰ্ণ ভোজনত।

ত্ৰয়োদশ সৰ্গ
নামবৰ হাবি

মধ্যাহ্ন জিৰণি পাচে গাড়ী-কাৰেঙত,
লীলা-ৰাণী-শুশ্ৰূষাত লভিলোঁ জিৰণি।
নিজম প্ৰকৃতি। নিজৰাৰ কলকলে,
বতাহৰ সৰ্‌সৰে,— মিলন সুৰত--
শান্তিৰ জুৰণি ঢালি আনিলে টোপনি।
চাৰি চকু, দুটি জীৱ, অভেদ আতমা,
লাল্‌কাল্ ভাগৰত। সুমৰি দিঠক,
সপোনত প্ৰাণ-দিয়া-দিম্মি; সেই স্নেহ,
সেই দেহ, সেই প্ৰেম-বাহু-বান্ধনিৰে।
বহুদূৰ গতি হল, টোপনি জালত।
চকু মেলি দেখোঁ পাচে অটব্য অৰণ্য,
বিদ্যমান সমুখত,—গহীন আবেশে,—
নামে 'নামবৰ'। সেন্দুৰী সন্ধিয়া বেলা।
দিনকৰে দিন-দীপ্তি পুনু চুচি লই,
পদুম-বিৰহ-তাপে তেই-গোৰা বান্ধি,
লুকালে নীৰৱে হাঁয়, পৰিলে পাটীত,
পছিমাচলত। 'নামবৰো' অন্ত তাতে।
দুৰ্ঘোৰ অৰণ্য আগে, নিজান নিটাল,
নিজম ভাবত তাৰ, গহীন প্ৰকৃতি
জ্বলে ভয়ঙ্কৰী ৰূপে মানৱ হিয়াত!
সঙ্কোচিত 'গাড়োৱান', আতঙ্ক প্ৰাণত;
নীৰৱে টিমালে গতি, ভৱিষ্যত ভাবি।
নিমিলিল মনে স'তে মোৰ। নাই নই,
নাই বিল, নাই এটি নিজৰাৰ জুৰি,
অতিথি শুশ্ৰূষা হেতু প্ৰকৃতি বুকুত।
বিপদৰো মুখভাগ। আশ্ৰয় এৰাই
ভালেখিনি গতি। পাৰিলে এৰাব,
'নামবৰ' মাজভাগ, জিলিকে নতুন
আশ্ৰয় আশাৰ চাকি। উদ্গালোঁ
'গাড়োৱান'; কাণে কাণে উদ্গানি বাণী।
জুৰিলে অলস প্ৰাণী, পুনু যুৰঁলিত;
মুখৰ ভিতৰে কিবা, অফুট বকনি,
আশঙ্কাৰ নাম লই চলালে বাহন।
অৰ্দ্ধক্ৰোশ গতি পাচে, অৰ্দ্ধাঙ্গিনী মোৰ
উঠিল চমকি কিবা দেখি দুৰদশা,
দিঠকত সপোনৰ মায়া। মনে মনে
গুণি কিবা আমোলালে গহীনাই মুখ।
নেপালোঁ উত্তৰ স্থিৰ, সুধি বাৰেবাৰ,
সপোন বৃত্তান্ত কিবা। নিমাতী প্ৰতিমা,
গধুৰ ভাবত হাঁয়, ভাব-গৰবিনী।
প্ৰকৃতি বুকুত দেখোঁ, ঘোৰৰূপা হই
মিলিল সংসাৰী-লীলা সৃষ্টি-লীলা স'তে!
মনে মনে আশঙ্কাৰ বাঢ়িল ঠেঙুলি,
অজগৰ মুখে যেন, ভয়ে-ছেপা প্ৰাণী,
গ্ৰাসিলে যেতিয়া আহি ঘোৰ অন্ধকাৰে।
বন-শত্ৰু পাচ কথা; মনোৰাজ্য জুৰি,
মনে-পতা শত্ৰু দলে কঁপালে হৃদয়।
ক'তো নাই সাৰ-সুৰ, নিটাল প্ৰকৃতি,
পৰিছে নিজম। নিমাত চালকে গাড়ী
চলায় নীৰৱে। কু-শবদে গাড়ী-খিলা,
ঘূৰিছে বাগৰি। মাজে মাজে সঁহাৰিটি
উঠে মোৰ কণ্ঠ এৰি; বাজে-গহীনাই।
পৰে সি নিজম পুনু; কাঁহপাত্ৰে যেনে
উঠি শব্দ পৰে জঁয়, আপুনি নিজম।
মিলে সি নিটাল ভেদি অনন্ত আন্ধাৰে,
নেৰাখি তাৰ চিন একো। ক্ষন্তেক পাচে,
প্ৰকৃতিৰ ঘোৰ ৰূপ, মানৱ হিয়াত,
উথলে দুগুণে হাঁয়, দুৰ্যোগ চৰাই!
অন্ত নাই আন্ধাৰৰ! নপৰে সৰকি
এনি-তেনি জিলিকনি এটি! নিশাকৰ

ভালেখিনি পাচে। থমকি থমকি যাথো,
জ্বলে এটি বন্তি আগে, গাড়ী-চ'য়ে-যোঁটা।
জিলিকায় সি আলোকে গাড়ী-প্ৰাণীকিটি,
নিৰাশ্ৰয়, নিসহায়, ভয়ত আতুৰ,
অটব্য অৰণ্য মাজে, শত্ৰুৰ মুখত;
শত্ৰুক নেদেখা কৰে, বঢ়াই আন্ধাৰ;
ব্যাধৰ লুকনি আঁৰ। মুহূৰ্ত্ত নাযায়,
ধৰে যেন বেৰি আহি, শতেক অপায়ে।
"আছে বা কিমান আৰু আগলই বাট?"
আতুৰা লীলাৰ প্ৰশ্ন নীৰৱে সৰিল,
ভয়-গাঁথি ফৰ্‌মূৰ্ত্তি থাই। মন মোৰ
চিন্তাযুত, বুজনিৰ বিচাৰি উপায়,
প্ৰিয়াক অভয় দিওঁ, ক্ষণ চমুৱাই,
"পালোঁহি, অলপ আছে" প্ৰবোধ পানীৰে
নুমালোঁ উদ্বিগ্ন জুই, হিয়াত লীলাৰ।
পাহৰালোঁ ভয়ভাব, জুৰি সাধুকথা;
অলৌকিক উপন্যাস, বিপদ, উদ্ধাৰ,
কথমপি গা-সৰা, পুনু সুখভাগী,
অদ্ভুত ঘটনা-পাক মেলি সুকৌশলে,
ভুলালো তিনটি প্ৰাণী, শঙ্কা পাহৰাই।
উমানত গৰু-খেদা, নীৰৱ চালক,
লাগিল তৱধ শুনি ঐশ্বৰিক লীলা।
অকস্মাৎ ৰিণি ৰিণি, শিঙা-উকিয়নি,
লৰি লৰি বন্তি এটি চাপে কাষলই।
ঈশ্বৰ-প্ৰেৰিত যেন অনাথ সাৰথি,
অথন্তৰ অৱস্থাত উপস্থিত আহি!—
চিনিলোঁ চিনাকি সাজে, ডাক-ভাৰী দুটি।
সুধিলোঁ আবেগ স্বৰে সম্বোধি 'ককাই'
কিমানত আছে আগে, আলহী আশ্ৰয়?
উত্তৰিলে সমস্বৰে, সম্বোধি ঘূৰাই—
লাগিব খেদিব আৰু পূৰ্ণ দুই ক্ৰোশ।
লাগিলোঁ তৱধ; পৰি যেন বজ্ৰপাত,
হতাশ খুন্দাত! সোধোঁ বুলি আৰু কিবা
হলোঁ আধা গাড়ী বাজ, মুৰ উলিয়াই।

দেখোঁ পুনু শুভ দৃশ্য! আহে নে কি আৰু
সুখৰ সম্ভেদ কিবা?—উজ্বলি আন্ধাৰ
আহিছে দুটাৰি জোঁৰ, আমাকে ধিয়াই;
হাবি-বনে দিলে বাট, একতীয়া হই।—
চাপিল চাপিল হাঁয়, চাপিল ওচৰ,
বাজিল নাকীয়া শিঙা, কঁপাই বননি,
সম্মুখত মহাকায়, দঁতাল গজেন্দ্ৰ!
আতঙ্কে উৰিল প্ৰাণ; পুতলাৰ প্ৰায়,
তধা লাগি ৰলোঁ, মৃত্যুমুখী নৰপ্ৰাণী
চুৰ্ত্তি হেৰুৱাই। মুহূৰ্ত্ত পাচত,—হাঁয়.
নচলে লিখনী,—ডাকভাৰী বন্তি এৰি
চিটিকি পলাল প্ৰাণে, নিৰোধি নিশ্বাস,
গাড়োৱান পিচে পিচে, উন্মাদচিতীয়া,
নিমিষে লুকাল কেনি, অন্ধকাৰ ভেদি;
মাত্ৰিব নজনা দুটি গাড়ী-যোঁটা প্ৰাণী,
ধৰিল ঢাপলি পাচে, যুৰঁলি পেলাই,
আন্ধাৰত পিচলই উৰাই নিচান;
ভয়ে-চেপা তিনি প্ৰাণী এৰি গাড়ী স'তে!
নিৰাশ্ৰয়া লীলা হাঁয়, মেলি বাহুলতা,
ধৰিলে সাবটি মোৰ পাতি-ধৰা ডিঙ্গি,—
যুগুত আশ্ৰয়। আঁটি ধৰি বুকুলই,
পৰিলোঁ চেপেটা হই, স্থিৰ কৰি মনে,
এৰিম মানৱ দেহা, পূৰ্ণমিলনত,
একাঙ্গ বান্ধোনে। প্ৰভুভক্ত লগুৱাটি,
প্ৰভু-ভকতিত, আসন্ন লগৰী হই,
দুটি পাৱ শিৰে ধৰি লগতে পৰিল!
অৰ্দ্ধেক সজ্ঞানে মই চাওঁ গজক্ৰীড়া
এৰি যোৱা বন্তি স'তে। অপেক্ষি মৰণ,
উপস্থিত বিপদৰ প্ৰতি মুহূৰ্ত্তত,
চাওঁ ভাবি সৃষ্টি-লীলা বিধিৰ হাতত।
সামৰিল ক্ৰুদ্ধভাৱ, বন্তি গুৰি কৰি;
আঁতৰিল গজপতি, গজেন্দ্ৰ গতিৰে,
মৰষি যতেক দায় আতুৰ প্ৰাণীৰ।
এৰাই ৰাহুৰ গ্ৰাস, যেনে দিনকৰে

খলকি লগাই মেলে নিজ তেজ ৰাশি;
এৰাই মৰণ গ্ৰাস, কাণে-কাণমাৰি,
লাগিল খলকি প্ৰাণে, বুকু টিপিয়নি।
ক্ষন্তেক নিস্তাৰ মানি, তিনে চোৱাচুই,
মৰণৰ আগ-পাচ, সুমৰি নীৰৱে,
প্ৰকাশিলে মনোভাৱ চকু-চাহনিয়ে।
বাজিল প্ৰাণত পুনু, চেতনাৰ শৰ,
ভয়-বিহ্-সনা-গাত। ভৱিষ্য বিপদে,
ঘন ছাটনিৰে, অতীত প্ৰকোপ জিনি,
ছাটিলে সমুখ ভাগ। চালক বিহীন,
অচল গাড়ীৰ ঘিলা। পৰ্ব্বত প্ৰান্তত
লাখুটি বিহীন যেন, খোৰা তিনি প্ৰাণী!
বিপদ-নজনা লীলা, আৰু লগুৱাটি,
আতঙ্ক খুন্দাত হাঁয়, মূছ্‌কঁছ গই,
হল সংজ্ঞাহীন; তন্দ্ৰাৰ আবেশ পাচে।
অকলশৰীয়া, মাথোঁ কল্পনা ছয়াত,
প্ৰকৃতি বুকুত হাঁয়, বিভোল-জুৰণি
বক্কিলোঁ মুকলি কৰি উদাস পৰাণ।
ধীৰে ধীৰে নিশাকৰে, 'নামবৰ' শিৰে,
ৰাঙলী নিচান তুলি, পূব-শিতানত,
জোনাক-জাননী দিলে আক্ৰমি আন্ধাৰ।
আঁতৰিল অন্ধকাৰ, ঘাটিল যুঁজত;
বিস্তাৰিলে নিজ প্ৰভা, জোনাকি জগত।
উদঙালে প্ৰকৃতিৰ কাঁচলি বুকুৰ।
নিজম-সৌন্দৰ্য্য-প্ৰভা হল প্ৰতিভাত
উদং হিয়াত মোৰ। উদাস পৰাণ
পূৰ্ণ হল কি যে ভাবে, সৃষ্টি মহিমাৰ
কোটি গ্ৰহ, উপগ্ৰহ, নিশাকৰ স'তে,
পৰিল যেতিয়া, অহ, নীৰলা চকুত।
আৰু বা কতনা সৃষ্টি, নেদেখা ভাগুত,
বিৰাজিছে আলাসত, ব্ৰহ্মাণ্ড বিয়াপি।
এজনা নিয়ন্তা তাৰ, চাওঁতা এজন,
একেজনা বিশ্বেশ্বৰ ৰক্ষক সবাৰ।
ক্ষুদ্ৰাদপি ক্ষুদ্ৰ আমি, মনুষ্য জীৱন,
ততোধিক অকলই, তুলনা যেতিয়া
অসীম ব্ৰহ্মাণ্ড স'তে। অজ্ঞান মানৱ
লীলাৰ ঢাকনী তলে। নিন্দে সি সততে
বিধিৰ বিধান, নেদেখি প্ৰকৃত জ্যোতি,
সৃষ্টি-মহিমাৰ। ভাবত বিভোল হলোঁ।
উদাস পৰাণ মোৰ; আত্ম-বুজনিত।
কটালোঁ প্ৰফুল্ল প্ৰাণে, বিপদীয়া ৰাতি,
বখানি সৃষ্টিৰ লীলা ঈশ-গুণগানে।
সুমাল ৰাতিৰ স'তে যতেক অপায়,—
দিঠকৰ, কল্পনাৰ, অশেষ, অপাৰ,
—পূবালি মেঘৰপৰা, বিৰহ শেষত,
পদ্মনাথে পুনু আহি দূৰণি বিলত,
ধৰিলে নাচোন যেই প্ৰিয়া-মিলনত।
ভাগিল নিটাল ভাব শাত প্ৰকৃতিৰ,
হলো বান্দৰ আদি ভলুৱা প্ৰাণীয়ে
জুৰিলে আনন্দ ৰাৱ যেবে ঠেও ধৰি।
লভিলে চেতনা পুনু, মূৰ্চ্ছা-যোৱা প্ৰাণে;
ধীৰে ধীৰে উঠি লীলা, ধৰিলে গুণনি;—
ৰাতিৰ বিপদ কথা। শুকান, নিমাত,
মুখ লগুৱাৰ; আতঙ্ক চোঁচনি পাচে!
উভতি বলদ স'তে, গাড়োৱানে গাড়ী
যুঁটিলেহি পুনু; ঘূৰিল অচল ঘিলা।
বুজালোঁ কথাৰ ছলে, সৃষ্টি-লীলা-খেলা,
সংসাৰী লীলাৰ স'তে, নিজনি বিলত
সূৰ্য্য প্ৰতিবিম্ব খেলা। আশ্বাসিলোঁ পাচে,
প্ৰবোধি মনক, সুখ-দুখ স্বপ্নখেলা,—
বিপদৰ অন্ত সেয়ে বিধি-ধৰ্ম্মমতে।
হৰষিত লীলা শুনি,-বুজনি হাঁহিৰে,
তিয়াগি বিপদ চিন্তা ভাবনা অপাৰ।
অনাহাৰে নোৱাৰিলে টুটাব জেউতি,
ৰসময়ী লীলাৱতী, জেতুলীপকাৰ।
দেখি কিন্তু চকু মোৰ মুদনিমুখীয়া,
ম্লানমুখ ভাগৰত, সজাগৰে থকা,
কোঁচালে চকুৰ পাহি;—দুখ পতিয়নি।

চৰিল চেনেহী ৰূপ, বেজাৰ ছঁয়াত;
খোঁৱাৰ পাকনি মাজে বাৰ জোলোঙাৰ।
আঁঠু যুৰি কোলা পাতি, লই দুটি পাৰ,
বুলালে কোমল হাত, নিবেদি বিশ্ৰাম।
নিশাকৰে মিছা কৰি ৰাতিৰ বিপদ,
আপুনি পৰিলে শেঁতা। দিনকৰে পাচে,
বিস্তাৰি অভয় দীপ্তি, হৰিলে আন্ধাৰ,
শতুৰু লুকনি আঁৰ। পৰিল চেঁচনি।
ৰথীয়া দি পদ্মনাথ পদ্মিনী প্ৰিয়াৰ
অবিহনে মোৰ,—জিৰণিত ভোল গই,
জপালোঁ চকুৰ পাহি। প্ৰিয়া-স্পৰ্শ-সুখে
শান্তিৰ জুৰণি সানি, প্ৰতি অঙ্গভাগে,
কৰিলে বিভোল প্ৰাণ। আহিল টোপনি,
শান্তিৰ ওপৰে সদা আলাসত ভহা!
নিমিষে নেদেখা হলোঁ দিঠকৰ মেলা।

সপোনৰ ইন্দ্ৰজাল বিয়াপি চৌপাশে,
অপৰূপ সৃষ্টিলীলা, বিয়পালে প্ৰাণে।
ভূপতি সমান ভোগ, সংসাৰ বিলাস,
ৰাণীসমা লীলা মোৰ, ভুঞ্জে তাৰ ভাগ;—
পুণ্য মিলনৰ, অহ, পুণ্য প্ৰেম-ফল!
প্ৰথম প্ৰহৰ পাচে চাওঁ চকু মেলি,—
মুকলি চৌপাশে; 'নামঘৰ' অস্ত চিন্।
বাৰী-ঘৰ সমুখত, মানুহ-বসতি,
মাজে মাজে চিনি-পোৱা মুখৰ আকৃতি।
ডিমাপুৰ নামে ঠাই; শান্তি ৰক্ষা হেতু,
ৰজাৰ ৰথীয়া 'থানা' ধনশিৰী পাৰে।
হিড়িম্বা নগৰ আগে, জীৰ্ণ অৱস্থাত।
শুনিলোঁ প্ৰিয়াৰ মুখে বহুদূৰ গতি,
টোপনি ভোলত মোৰ। বিশ্বাসঘাতকী
নৰ-পশু 'গাড়োৱান' নিশবদে নামি
এফলীয়া গৰু স'তে। আত্মধিক্কাৰত,
মৰ্ম্মাহত হল অল্পবোধী প্ৰাণ তাৰ।
নবঢ়ালোঁ তাপ তাৰ, চাহনি বাণেৰে;
দিলোঁ মন আন ফালে, নেদেখা ভাৰত।

বন্ধুজন শুশ্ৰূষাত, পথিক ভোজন,
পূৰ্ণভাৱে সমাপন, আহঁত তলত,—
এসন্ধ্যা সন্ন্যাসী দৰে আবেলি পৰত।
বঞ্চিলোঁ সি ৰাতি তাতে, শঁতাই ভাগৰ,
অসময় ভোজনৰ পাচে। লীলা কিন্তু
আজিকে বিমনা, কি জানো কি কথা গুণি;
"এনেই লাগিছে কিবা"—প্ৰশ্ন-উত্তৰত।
বুজিলোঁ আজলী প্ৰাণে বালা-লীলা-খেলা,
সাংসাৰিক লীলা স'তে পৰিছে ৰিজনি।
মুমুধি দুনাই একো, ধৰিলোঁ বুকুত,
ভাবত জেউতি চৰা মুখানি সৰল।
পুলকিত নিমিষতে, কায়-মন-বাক্,
চকুৰ হাঁহিৰে যেবে হঁহালোঁ চকুক।

চতুৰ্দ্দশ সৰ্গ

পৰ্ব্বতপাদ

যাত্ৰাৰ চতুৰ্থ দিনা ভৰদুপৰত
পৰিল চকুত পুনু, লাহে, লাহে, লাহে,
প্ৰকৃতি ৰক্ষিত মঠ; শ্যাম ৰহণীয়া।—
মাতৃদেৱী সুৰক্ষিত বৰঘৰ যেন,
অপেক্ষি যুগল ৰূপ, বৰ-যাত্ৰা পাচে।
দেখোঁতে ওচৰ অতি চকুত লীলাৰ;
উঠিবহি গাতে যেন, ঘূৰি পাকনিটি,
পুৱাব চকুৰে চাই, পোহনীয়া আশা,
প্ৰকৃত পৰ্ব্বত ৰূপ; নিলগত দেখা
এফলীয়া এচটীয়া সীমাবন্ধা গড়।
পাকনিৰ পাচে কত ঘূৰিল পাকনি;—
পাওঁ পাওঁ পাওঁ যেন,—একে নিলগত;
একেথৰে ৰাখি চকু, আমনি-নলগা,
চাওঁতে চাওঁতে আহি, সন্ধিয়া পৰত,
চাপিলোঁ পৰ্ব্বতপাদ,—আনন্দ মঠৰ
প্ৰথম দুৱাৰডলি। প্ৰকৃতি সঙ্কেতে

যেন ৰজাৰ দুৱৰী, সশস্ত্ৰ প্ৰহৰী,
ৰক্ষক দুৱাৰ ;—'নিচুগাৰ্ড' নাম তাৰ।
আনন্দ উপচি পৰা প্ৰকৃতি হিয়াত,
ধাৰেবোৱা এটি সোঁত শিলনি ওপৰে
বিভোল ভাবেৰে মিলি বইছে বাগৰি !
তুলিছে আনন্দ ৰাৱ, মঙ্গল আৰতি।
পৰিল উপচি ভাব, উগুল-থুগুল,
হিয়াত লীলাৰ। পাচ কৰি আন কাম,
নিবেদিলে মোত, উত্ৰাৱল মনে-চিতে,
অপৰূপ সৃষ্টি-লীলা, আপোন হিয়াত,
আপোন চকুৰে চাই মিলাবৰ গুণে !
ধীৰে ধীৰে নামি, লীলা-বাৰে, হাতেযোঁটা,
দিলোঁ থিয় দুয়ে এটি শিল-ওপৰত ,—
প্ৰকৃতিৰ পাৰি থোৱা শুদ্ধ চামপীৰা। -
ধুৱালে পবিত্ৰ জলে, উথলি আপুনি,
বৰ-কন্যা চাৰি-পাৰ। জননী প্ৰকৃতি,
মুকলি গহীন সাজে, মেলি বহু-লতা,
পিন্ধালে সাদৰি, আদৰণী ভাবমালা।
মুকলি বুকুৰ মাজে, সাবটি দম্পতী,
চেনেহ-চেপনি বান্ধে, ধৰি দুই মুখ,
সুম্ভিলে দুইটি শিৰ অপত্য স্নেহত।
নমিলোঁ জননী পদ। ভকতিৰ ভাব
বিৰিঙ্গি চকুৰ কোণে, বাগৰিল ধীৰে,
দুগালে দুধাৰি, আনন্দৰ চকুপানী।
বঞ্চিলোঁ সি ৰাতি তাতে হৰিষ অন্তৰে।

পঞ্চদশ সৰ্গ

পৰ্ব্বত-মঠ

আনন্দ মঠৰ মাজ ; সৌন্দৰ্য্য-ভঁড়াল।
এহাতে অত্যুচ্চ বাৰ, শিলেৰে বন্ধোৱা ;
ইহাতে গভীৰ গুহা, পকোৱা বাটৰ।
কঁপি উঠে মন-প্ৰাণ, চুলি আগে-জীৱ,
জুমিলে নেদেখা তলি,—প্ৰকৃতি অন্তৰ,
অমূল্য ৰতন ধৰা সৌন্দৰ্য্যৰ খনি।
অমাতৰ মাতে মুগ্ধ, পিপাসিত কাণ ;
নেদেখা ৰূপত মজে উত্ৰাৱল প্ৰাণ ;
নোপোৱা সুখৰ ফালে ধাউতি হিয়াৰ ;
সৃষ্টিৰ নাঠনি-যোঁটা, প্ৰকৃতি নৰৰ।
উত্ৰাৱল মন-চিতে আনন্দ নধৰে,—
জুমি জুমি ৰূপ-লীলা,—লীলাৰ হিয়াত।
বিশাল প্ৰকৃতি বুকে মুকলিমূৰীয়া,
চাৰিঢাপে বন্ধা থকা নাৰী,—বন্ধা পখী
সজা মাজে বহুকাল ; পুন্ন গছ ডালে !
আহি পাচে পালোঁ এক শিল চপৰাণি ;
সৰু-বৰ, নানা গঢ, হেজাৰে হেজাৰ।
"দেহিঐ, চাওকচোন !"—নামে যেন লীলা-
নাৰাখোঁতে গাডী ! পূৰিল প্ৰাণৰ আশা,
নামিলোঁ আহাৰ হেতু, সুচল সি ঠাই ;
'কুকীপানী' নাম তাৰ। চপৰাণি মুখে
উধাৱত লীলা হাঁয়, কাচুতি চপাই।
এটি থই আৰু এটি, ঘূৰি আন এটি,
লৰি লয় আৰু এটি, আতিকে চিকুণ।
ইদৰে ভৰায় কোঁচ শিলৰ গুটিৰে, -
কাটি মোৰ হিয়া-ভাব, তলি উদঙ্গাই !
এৰিলোঁ ধেমালি স'তে শিলনি ওপৰে,
প্ৰকৃতি-দুহিতা লীলা প্ৰকৃতি-বুকুত।
আহাৰ যুগুত হেতু উঠিলোঁ ৰান্ধনি।
তৃষ্ণাযুত চকু মোৰ অতৃপ্ত সুখৰ,
মাজে মাজে বেঁকা-চোৱা, ভাওতি লীলাৰ ;
বনদেৱী বনমাজে, মানবীৰ বেশে।
আনন্দৰ উছাহত, টানি ৰখা হাঁহি,
অকলই উঠে ফুটি, ইঁহাই মনক ;
প্ৰাণভৰি চাই, অহ, লীলাৰ লৰালি !
ভোজন সমাপি যেই আৰম্ভিলোঁ পুন্ন,
বাটকৰা বাট-খেদা, নতুন বিপদ
চাপিল ওচৰ এটি। সুখ পাচে দুখ,

সৃষ্টিৰ চকৰি-ঘোঁটা। ভিতৰি ইবাৰ,
ব্যাধিৰ বিকাৰ হাঁয়, লীলা-দেহা মাজে।
অকস্মাৎ বিপদৰ সংহাৰ মূৰতি!
প্ৰিয়া মোৰ সঘনে মূৰ্চ্ছিতা! কিবা ভাব,
জোকাৰি হৃদয় গুৰি, উঠে ধোঁৱাপ্ৰায়।
শূন্যত থিতাপি চকু, কি জানো কি দেখে!
থাকি থাকি মাৰে হাঁহি, কিবা অৰ্থ পাই,
গূঢ় অৰ্থ মনোভাব, অবুজ ভাষাৰে!
মাজে মাজে উঠে চঁকি; অমঙ্গলে কিবা,
ধৰেহি সাবটি যেন ভয়ঙ্কৰ ৰূপে।
তোলপাৰ প্ৰাণ মোৰ, কৰ্ত্তব্য বিমোৰ!
উন্মাদৰ বাহু মেলি, ধৰিলোঁ সাবটি,
উন্মাদিনী লীলা। হাততে হেৰায় যেন,
যত্নে তোলা পানী-চলু! ধৰিলোঁ চপাই
হিয়াত হিয়াৰে টিপি, নাৰাখি সুৰুঙা,
বিচ্ছেদৰ অহা-যোৱা জলা! কঁপে হিয়া,
কঁপে মন-প্ৰাণ, অন্তিম ভাবত উটি।
বিপদ-বান্ধৱহীন, নাই বেজ-জ্ঞানী,
নিজান প্ৰকৃতি ৰাজ্য দশোদিশ্ জুৰি,
বিস্তাৰে নিজম ভাব, নৰ নিলগাই!
ঈশ্বৰ সহায় মাথোঁ, ভব-ভয়হাৰী;
বিপদতাৰণ নাম, শিৱ শিৱময়,
অব্যৰ্থ ঔষধ স্মৰি ক্ৰমে আগুৱালোঁ।
অৰ্দ্ধেক যোজন পথ কটালোঁ ধ্যানত,—
বিপদ-ভুলোৱা যাদু। বতৰৰ স'তে
সংসাৰ-বতৰ-লীলা ক্ৰমে মিটিকালে।
সম্পদ, বিপদ কত কৰি তোলাপৰা,
সৃষ্টিৰ বাগৰি চকা, সংসাৰ পথত,
তুলিলে ইবেলি যেন পূৰ্ণ সুখ-ভাগ,
প্ৰৱেশ যেতিয়া লীলা, কহিমা বুকুত,—
প্ৰবাসৰ বৰঘৰ,—বাটলই-চোৱা,—
দুৰাতি দুদিন আৰু দুখযাত্ৰা পাচে।

ষোড়শ সৰ্গ

সংসাৰ-দুৱাৰডলি

আৰম্ভণ গৃহধৰ্ম্ম। যৱনিকা পাত
হল ববাগী বহাৰ। ওৰণি লীলাৰ,—
গৃহলক্ষ্মী অনুকৃতি আঁকা। উলটিল,
নিয়ম-কাৰণ যত, পূৰ্ব্ব পাততনিৰ।
ভদ্ৰজন হল বাজ, প্ৰৱেশ নিষেধ,
দুখীজন,—বাহিৰত-সন্নিধান-পোৱা,—
ভিতৰ-আলহী হল গৃহলক্ষ্মী 'পাশে।
দুৰণিৰ দৃষ্টি-সোঁত ধৰি ওভতাই,
সৃষ্টি হল চকোৱাৰ চাৰিঢাপ জুৰি।
ভেঁকুৰা পিৰালি গুচি, নিমজ চিকুণ;
চুকৰ জাবৰ আৰু ভাতচৰু-ছাই,
নজমি লভিল গতি দিনে বকৰাণী।
দৈনিক যাত্ৰাৰ বেলা ৰাজকাৰ্য্যালই
বিদায়ৰ সন্নিধান, চকু-চোৱা-চুই,
নতুন শ্ৰজন। নতুন চকুত আৰু
বৰাগী দুৱাৰ উলটি মুকলি দেখা
ভাগৰুৱা প্ৰাণে আহি ঘন্টা পাঁচ পাচে;
দুৱাৰত গৃহলক্ষ্মী, বাটলই-চোৱা,—
ওঁঠৰ কঁপনি স'তে ভাগৰ-চোঁচনি।
যতেক ভাগৰ দুখ, জীৱন-যুঁজৰ,
অৰ্দ্ধেক পৰাণে বই, সমভাগ তাৰ,
বুজনি জুৰণি ঢালি অৰ্দ্ধভাগ মোৰ,
আতিকে লাঘৱ কৰে, জুৰায় পৰাণ!
আৰু এটি নতুন সলনি;—নাই আৰু
ওখ ভাব বৰাগীৰ,—মুকলিমূৰীয়া।
উদাস পৰাণে যেন, 'প্ৰভাস মিলন';
প্ৰবাসী পঁজাৰ মাজে গৃহ-যজ্ঞ ভাগ।
নিজম পৰিল যত, সন্ধিয়া-বিলাস;
উচ্চৰাৱে গীত-গোৱা সমনীয়া স'তে।
ললে ঠাই তাৰ গৃহিণী-মন্ত্ৰণা-সুৰে,

গৃহনীতি-বীণা ধৰি। টোপনি পাতনি
প্ৰেমৰ আলচে আঁকা; পৱিত্ৰতাময়।
আৰু যত সংসাৰৰ নতুন প্ৰকৃতি,
লীলাৰ আঁচল ধৰি ক্ৰমে দিলে দেখা,
উদাসী পৰাণ কৰি সংসাৰ-বিভোল!

সপ্তদশ সৰ্গ
সাহিত্যিক-সংসাৰ

ইৰূপে আগলি ছোৱা নৱ সংসাৰৰ,
কটালো নতুন ভাৱে। আছিলোঁ পাহৰি,
পূৰ্ব্বভাৱ, পূৰ্ব্বকথা, পূৰ্ব্বপাতনিৰ
মনে-পতা মহাব্ৰত;—জীৱন উদ্দেশ্য।
প্ৰকৃতি বুকুত পুনু, উঠিল চমকি
পূৰ্ব্বৰ জেউতি সেই, লক্ষ্য-পোহৰৰ,
ধ্ৰুৱতৰা সৌৰৱণী উঠি অকস্মাৎ।
চাৰিভিতে দেখোঁ পুনু, ব্ৰহ্মাণ্ড বিয়াপি,
কৰ্ত্তব্যৰ-পিচে-লৰা প্ৰকৃতি মণ্ডল।
সুখ-বোধ জিৰণিত, কৰ্ত্তব্যৰ পাচে,
ঔষধৰ পাচে যেনে পথ্য অনুপান।
হৃদয়ৰ গুপ্ত ভাৱ হল প্ৰতিভাত,
চকু-কোঁচনিত। মুখৰ আকৃতি জুৰি,
শোভে মন অনুকৃতি;—এচলীয়া-চোৱা।
তথা লাগে দেখি লীলা,—সৰল প্ৰতিমা—
জানো কিবা লগালে জগৰ! দোষী ভাৱে,
চাপে কায; অপৰাধ মৰষণ হেতু!
উপচি হৃদয় মোৰ মৰম-নিজৰা
বাগৰে অজস্ৰ ধাৰে, প্ৰতি সিৰে সিৰে;
মুখত উন্মাদ হাঁহি। কি জানো কি ভাৱে,
বুকু ঢপালনি! মুখত নুফুটে কথা।
অৰ্থশূন্য চাহনিৰে জলাই দুগুণে,
মনৰ আশঙ্কা জুই হিয়াত লীলাৰ,
আপুনি বিমোৰ হওঁ, বিচাৰি উত্তৰ!
ইদৰে বাগৰি গল, দিন দুই-চাৰি।
লীলাৰ ভাৱৰ ভাৱ ক্ৰমে জিলিকিল;—
মুখ আমোলনি। নসহিল প্ৰাণে, দেখি
বেজাৰ বাহুৰে গ্ৰসা সৰলা জোনাই,
অনুকৃতি ছাঁয়া পৰি অৰ্দ্ধেক হিয়াৰ।
মুহূৰ্ত্তে হিয়াৰ ছবি হিয়াৰে ঢকাই,
বুকুত লীলাক ধৰোঁ, পূৰ্ণবান্ধনিৰে।
বুজাওঁ কাৰণ মোৰ ভিন্ ভাৱনাৰ।
নবহিল ভাব-ছবি, কোমল হিয়াত,
আঁকত-উৰ্বলি-যোৱা। তিয়াগিলোঁ আৰু,
লীলাক ঘূৰোৱা আশা, ঘোৰ ভাৱলই।
কটালোঁ মাহেক দুই, পুনু হেলাৰঙ্গে,
যোগাই প্ৰিয়াৰ মন, বলেৰে চেপা দি
ভাব-উথলনি, ভিতৰি-খলকি-লগা।
পৰিল নিজনি হিয়া, ক্ষন্তেক নীৰৱে;
লুকুৱা ছবিটি তলে জিলিকে আপুনি।
লুকাই বিভোল হওঁ; ক্ষন্তেক পাহৰি
লীলাক প্ৰসন্না ৰখা। পৰে পুনু জঁয়,
অন্তৰত ফুলা ভাব, চাপিলে ওচৰ
বাহিক ভাবৰ মোৰ পূৰ্ণগৰাকিণী।
বাঢ়িল জঞ্জাল প্ৰাণে। বাহিৰে-ভিতৰে,
ঘনে লগ এৰা-ধৰা;—দুনাৱে ভুৰি!
উগাৰি উঠিল পাচে অশান্তি নিজৰা,
বাগৰিল পূৰ্ণ বেগে, অৰ্দ্ধাঙ্গ বিয়াপি;—
লুইতত বালি-ভেটা, যতেক বান্ধনি!
দেখালোঁ সৰল ভাৱে, হিয়া উদঙাই,
বাৰেঁ-থিয়-দিয়া মোৰ নিমাতী লীলাক;—
পালোঁ দান ভিখাৰীয়ে অৰ্দ্ধেক সময়।
সেই দিন হস্তে দুয়ে ধৰোঁ এটি ব্ৰত;—
অৰ্দ্ধাঙ্গিনী হল মোৰ, ভাৱ-আকৰ্ষণী।
—অনুৰক্ত দাস-দাসী সাহিত্য-সেৱাত।

অষ্টাদশ সৰ্গ

গ্ৰন্থ-সন্তান

মাহেকৰ পাচে মাহ বছৰত লীন,
বছৰ বাগৰি লয় কাল-সাগৰত।
বয়সৰ লগে লগে বাঢ়ে ভাব জুৰি ;—
সংসাৰী মানসী দুটি। তাৰে অনুকৃতি
দুটি দান, দুটি নাম, অভেদ আতমা।
মিলনৰ শুভ ফল লক্ষিত দুয়োতে ;
সংসাৰী মানসী দুয়ে বিকশিলে পাচে,
সুফল ধৰাৰ চিন্, স্ব-স্ব কলেৱৰে।
কিন্তু কিযে লীলা-খেলা, বিধি-বিড়ম্বনা ;
সংসাৰী আশাৰ ফুল যেই মলিয়ালে,
কুটিলে ঠাৰিটি তাৰ দুৰদশা-পোকে,
পৰিল কলিটি সৰি ! আচৰিত লীলা
সৃষ্টি বিধাতাৰ ;—সেই হস্তে অপৰীতি
থিতাপিল লীলা শৰীৰত। একে পোকে,
একে ক্ষণে, ধৰি ছেগ, আৰু তিনি কলি,
বিনাশিলে অকালত, লীলা-লতা গাৰ !
বিকল মানৱী প্ৰাণে হল অসহনী,
অকাল বিয়োগ হঁায়, আশা সন্তানৰ।
প্ৰিয়া মোৰ চিন্তাযুতা। সৰল প্ৰতিমা,
বিষভাব গৰভিণী ! সান্ত্বনাৰ হেতু,
পাচিলোঁ মানসী সখী। সখীয়ে সখীক,
বুজালে কতনা, অভেদ আতমা কথা ;—
একে আত্মা প্ৰতিবিম্ব লক্ষিত দুয়োতে।
মানসী প্ৰসূত যিটি স্বামী অনুকৃতি,
একে ৰূপে পাব শোভা সাংসাৰী কোলাত।
শলাগিলে প্ৰিয়া মোৰ সন্তোষ হাঁহিৰে।
ধৰিলোঁ আগত পাচে গ্ৰন্থ-পুত্ৰ এটি ;
যুটীয়া ব্ৰতৰ ফল। হৰিষে বুকুত,
অপত্য স্নেহেৰে আটি ধৰিলে লীলাই।
মুগুচে হেঁপাহ চাই দিনে শতবাৰ ;
শত বাৰ্দ্ধনিৰে। সেইক্ষণ হস্তে হল,
পুত্ৰৱতী প্ৰিয়া মোৰ, লীলা সংসাৰৰ।

ঊনবিংশ সৰ্গ

সামাজিক নীতি

মনে-পতা সংসাৰৰ পূৰ্ণ সুখভাগ
ভোগ আৰম্ভণ, কৰমত ফলিয়াই।
নতুন গৃহিণী লীলা, নাৰী সমাজত,
পূৰালে আসন এক নতুন আৱেশে,
অন্যতম সমজুৱা, নৱ সংসাৰৰ।
নজনা কুটিল গতি নৰ সমাজৰ ;
পোন বাটে খোজ-লোৱা, আতিকে সৰলা।
অকপট হিয়া হঁায়, হয় কলুষিত,
কপটীয়া আচাৰৰ ঘন ঘঁহনিত !
শিকালোঁ সঙ্কেতে, চলতি সমাজ-নীতি,
ইচ্ছা প্ৰতিকূলে। নৱ শিকনিৰে কত,
ঘটাই জঞ্জাল, জুৰিলে সমাজ-ৰীতি।
নিতে নৱ গোচৰৰ আৱেদন পাঠে
প্ৰেমৰ আলচ ঠাই দিলে সমাজক,
মন্ত্ৰণাৰ জালিকটা আৱৰণ তলে।
বুজনিত গল মাৰ, উচ্চনীতি যত,
স্বভাৱী লীলাত আগে' প্ৰতিভাত হোৱা !
নতুন সভ্যতা ৰীতি, সৃষ্টি মানৱৰ,
সৰলে-কুটিলে যোঁটা, ললে ঠাই তাৰ।
ইৰূপে সৃষ্টিৰ লীলা ঘটাই সংস্কাৰ,
আৰম্ভিলে মহামেলা, সামাজিক লীলা ;—
অৰ্দ্ধেক সৰলা আৰু কুটিলা অৰ্দ্ধেক,
আচৰি সমাজ-ৰীতি ;—আদি সভ্যতাৰ
কহিমা নিষ্পাপী, আৰু নৱ বৈভৱৰ
কৃত্ৰিম শোভাত মৰা, নৱ সভ্যতাত।

বিংশ সৰ্গ

বিৰহ-সোৱাদ

আঁতৰিল অবিৰামে বছৰ অৰ্দ্ধেক।
নতুন ভাবৰ ঢউ লীলাৰ হিয়াত
উথলিল, বাগৰিল, শুভতনি মুখে।

স্বামী-সেৱা ওপৰঞ্চি, সেৱা-ইচ্ছা আৰু
উপৰীয়া গুৰুজন ; লক্ষী ঘাইঘৰ,
বনালে লীলাৰ প্ৰাণে, জুৰ পাখি মেলি।
বুজালোঁ বুকুত ধৰি, যেবে প্ৰকাশিলে
মনোভাব হৃদয়ৰ, সিদ্ধি ভৰসাৰে।
কথা দি ৰাখিলোঁ কথা,—মাহ তিনি পাচে,
পূৰিব পৱিত্ৰ আশা, দীৰ্ঘ মেলানিত।
কিন্তু কি যে আচৰিত, লীলা-ইচ্ছা-যোঁটা
ঘটনা চকৰি যেন ঘূৰি অনুকূলে,
পৰিপূৰ্ণ ইচ্ছা যত, মানৱ হিয়াৰ,
মানুহৰ দিন-দিয়া নহওঁতে পূৰ।—
আহিল আদেশ বাণী, বাব-সলনিৰ,
উপৰীয়া অফিচৰপৰা ;—তৈয়ামত
সলনি বিষয়-বাব, লীলাভাগ্য বলে।
নামিলোঁ পুনৰ, উদ্দেশি জনম ঠাই,
পিতৃ-মাতৃ গুৰুজন য'ত। আঁতৰিলোঁ
পাচে, মাতৃ-চৰণত সমৰ্পি প্ৰিয়াক।
প্ৰথম বিৰহ ভাব, পোনে এৰা-এৰি ;
হিয়াৰ আবেগে আঁটা, চকুৰ আঁতৰ,
দুটি দেহা, এটি প্ৰাণ, অৰ্দ্ধ-অৰ্দ্ধাঙ্গিনী।
হেলাৰঙ্গে ভালেদিন, পূজি গুৰুজন,
বিভোল লীলাৰ প্ৰাণ, বান্ধ-সলনিত।
আলোকি আনৰ কোলা, চালুকীয়া শিশু,
থলকিত হৰে চিত, ঘন চোপনিত,
দেখিলে মাতৃৰ ছঁয়া, এৰি শত খেলা,
ঘটায় জঞ্জাল হাঁয়, মেলি হাত-মুখ।
চঞ্চলা লীলাৰ প্ৰাণ, বিৰহ ছয়াত,
দেখি স্বামী-অনুকৃতি, কল্পনা চকুৰে,
উতলা হিয়াৰ ভাব পৰিল উপচি।
সযতনে ধৰি তাক মহী পৰশাই,
সজালে, পঠালে, পাচে, উদ্দেশি গৰাকী।
প্ৰাণ মোৰ মতলীয়া শুনি মনে-গোৰা,
বিৰহ সঙ্গীত সুধা ; লীলা সুখে বন্ধা।
বিজুলীৰেখীয়া বেঁকা, চিঠি শাৰীটিত
কি যে জ্যোতি চমকনি! দাঙ্গি ধৰোঁতেই
সৌন্দৰ্য্য ওৰণি তুলি চমকায় হিয়া!
প্ৰথমে চকুৰ কোণে ওপচাই ভাব,
পনীয়া জালেৰে ছাটি, দৃষ্টি-গতি ৰোধ ;
দ্বিতীয়ে আবেগ-ৰাগি, জোকাৰি হৃদয়,
কপালে বোৱায় তাৰ ভাপ বিৰিঙ্গনি ;
তৃতীয় চাহনি সোঁতে ঢৌৱাই প্ৰকৃতি,
লীলাময় ভাবে লয়, জগত সংসাৰ!
ক্ষণে মেলা, ক্ষণে তৰা, ক্ষণে জাপ যোৱা,
লীলাজ্যোতি ভাব-পাখি দেখি মেলা-তৰা
উলাহত চালি ধৰি মন-পখী মোৰ,
উৰি গই আছে চুমি অৰ্দ্ধ-আত্মা তাৰ,
নিমিষে আকাশী বাটে,—দূৰ-দূৰণিত।
ফুলোঁ ফুলোঁ পাহিটিয়ে, পুৱঁতী নিশাৰ,
পালে সূৰ্য্য দেখা ; বিকশিত পদ্মফুল,
হৃদি সৰোবৰ শোভি। শান্তিৰ সৌৰভে
জুৰালে পৰাণ মোৰ,—পৰিমল ভাগী।

একবিংশ সৰ্গ
প্ৰবাসী সংসাৰ

নতুন সাজেৰে পুনু পূৰ্ব্ব সংসাৰৰ,
প্ৰবাসত পাতি ঘৰ, ভোগ আৰম্ভণ।
সবান্ধৱে গৃহস্থালী, ভাই-ভতিজাৰে,
আৰু শিষ্য-পুত্ৰ সমন্বিতে। লীলা মোৰ
বিস্তাৰিলে ওপচনি সাংসাৰিক মায়া।
দুখ, তাপ, ৰোগ, শোক, শতেক অপায়ে,
নিয়তি আঁচল ধৰা, সংসাৰী ৰথত,
আবৰিলে গৃহস্থৰ ধৰ্ম্মক ধিয়াই ;
চৰিল গৃহিণী গুণ, সোণ-পোৰা হই।
ডাল-পাত আৰু কত, জীৱন যুঁজৰ,
ঠেকা-ঠেকি, লগা-যুঁজা, মান-অপমান ;
সংসাৰ-পদূলি জুৰি সশস্ত্ৰ প্ৰহৰী।

যশস্যা, গৌৰৱ-আশা, আত্মজীৱনৰ,
মজ্জাগত প্ৰাণ হাঁয়, মুগ্ধ মানৱৰ!
মায়াৰ ওৰণি টনা লীলা প্ৰতিভাৰো
বনালে আশাৰ পখী শূন্য আকাশত;
পকা ভেটী কল্পনাৰ, সুখঘৰ হেতু।
আচৰিত সৃষ্টি-লীলা, লীলা-জীৱনৰ;
পূৰিল মনৰ আশা, মৰীচিকা ভেদি,
লভিল আসন এক উচ্চতৰ থাপে।
মিলনৰ পাচে যেনে পূৰ্ব্বৰাগ সুখ,
পিপাসা নিবৃত্তি পাচে, পানী হাবিয়াস,
অভাব পূৰণ শেষে, লাভ হেতু আশা,
উজলি নিস্তেজ পুনু লীলাৰ হিয়াত;
ডুদিনীয়া সংসাৰৰ, স্বপ্নৰত সুখ!
ঘূৰালে বিৰাগ মুখ, আত্ম নামধ্যানে,
অস্থায়ী সংসাৰ সুখ, প্ৰমাণী অসাৰ।
লগে লগে মন মোৰ, চৌচনি লীলাৰে,
অদৃশ্য সূতাৰে যোঁটা, আনিলে বলাই।

দ্বাবিংশ সৰ্গ
পূৰ্ণ সংসাৰ

নতুন সাজেৰে পুনু পূৰণি সংসাৰ,
নৱ দীপ্তিময়। পিতৃ-মাতৃ চৰণত,
দুয়ে মিলি একে ঠাই, অৰ্দ্ধেক বছৰ।
যুটীয়া সেৱাৰ ফল হল প্ৰতিভাত,
সন্তোষ জুৰণি সনা মিলন ৰেখাত।
ভিন্ নামে সম্বন্ধীয়া, ভিন্ বান্ধনীত,
পৰিয়াল জুৰি। ভিনে ভিন্ সম্বোধন;
সুধাৰাশি ঢালে কাণে, দিনে শতবাৰ।
চালুকীয়া ভতিজাৰ আধাফুটা ৰাৱ,
“সউ-খুই-দউ” অহ, অমৃত সমান,
বাজিছিল শান্তি প্ৰাণে, দুখ কোমলাই,
চিন্তাৰ সোঁতত যেবে উটি-যোৱা মন।
বাজিছে আজিও সেই প্ৰাণ-কঢ়া সুৰ,
হৃদয়ৰ অন্তস্থল জুৰি। কত বাৰ
উদিয়াই মন-প্ৰাণ, চুমিছিলোঁ হাঁয়,
দেখি তাৰ মহতালি, কৰি লাজে-চেপা।
‘খুই-দউ’ মৰমৰ, গুচাই ওৰণি,
গুৰুজন সমীপত! নধৰে আনন্দ
অমায়িক প্ৰাণে তাৰ, দেখি সি বিলাই,
লজ্জাৱতী বোৱাৰীক মুচকঁছ-যোৱা।
সংসাৰী লীলাৰ কোলা উজলি ‘পোনাই’
অপত্য চেনেহ মোৰ কৰে গাঢ়তৰ,
সৰল কিৰিলি মাৰি শলাগণি সুৰে,
পতি-পত্নী বহি যেবে, বোৱাৰী কোঁঠাত
প্ৰেমৰ আলচে ভোল, সংসাৰ-সুৰত।
লাজৰ চকনি প্ৰাণে, দিনে কোনোবাৰ,
দুয়ে যেবে ভেটা-ভেটি, গুৰুজন আগে,
তলমুখে নেদেখি বিপদ। নাচে হিয়া,
ভিতৰি আনন্দ তালে, যবে চোৱাচুই!

ত্ৰয়োবিংশ সৰ্গ
আচানত

বিৰহৰ চোকা কাঁড়, পুনু হৃদয়ত,
কৰ্ত্তব্য সুমৰি যেৱে পুনু আঁতৰিলোঁ।
প্ৰিয়া যায় আইঘৰলই;—বান্ধি মন,
যাপিব বছৰ কাল, দীৰ্ঘ বিৰহত।
অশুভ ঘটনা এটি এবা-এৰি বেলা,
বিদায়-ঘাটত,—‘ধনশিৰীমুখ’ নাম—
পৰিলোঁ আপুনি হাঁয়, অতি আচানত,
নিদয়া মাউৰ লাগি। চৰিল দুৰ্যোগ,
শোকাতুৰা লীলা প্ৰাণে; বিৰহ আগত!
অকালত, আচানত, বৈদ্য-বিহনত,
দেখি প্ৰাণ আশাহত, স্বামী দেৱতাৰ,
অৰ্দ্ধাঙ্গিনী লীলা হাঁয়, উন্মাদিনী হই,
জুৰিলে যি আৰ্ত্তৰাৱ, গগন ভেদাই;—
মৰি বঁচা স্বামী পদে, কিয় বিপৰ্য্যয়,
অভাগিনী লীলা ভাগ্যে, বিধিৰ বিধানে!
নিন্দিলে বিধিৰ বিধি। দৃঢ় প্ৰতিজ্ঞাৰে,

সাক্ষী কৰি নীলাকাশ, সঙ্কল্প প্ৰকাশ ;—
এৰিব সতীৰ দেহা, সাক্ষাতে পতিৰ,
বিধাতাৰ বান্ধনীৰ শত বান্ধ ছিঙ্গি।
শলাগিলে ব্ৰহ্মপুত্ৰে, সঙ্কেতে সহায়।
—আঁতৰিল যমদূত ; নোৱাৰি সহিব,
সতী-তেজ-অগনিৰ তাপ। গল এৰি
দুৰ্ভগীয়া প্ৰাণ, হিয়াভেদী শেল ঘূৰি
সহিবৰ গুণে, প্ৰিয়তমা বিচ্ছেদত ;—
দিঠকৰ অগোচৰ, সপোনৰো আৰ,
শেহৰ সিদিন হাঁয়, লীলা ৰংসাৰৰ,
সংঘটিল যেই দিনা, যথা সময়ত,
অন্তিমৰ চোৱাচুই ভৰ হেঁপাহৰ
পিৰিকনি এটি সতে আন্ধাৰি জগত !
মচিলে নাযায় মচা সোঁৱৰণী ৰেখ,
ধাৰে বোৱা চকু-লোৰে দুগাল ঢৌৱায় !

চতুৰ্বিংশ সৰ্গ
শাহু-সদনত

কটালোঁ মাহেক দুই, দুয়ে দুই ঠাই ;
ভেলা-ভাৰী নৰ-নাৰী ! ইটিয়ে সিটিৰ
ভাবগ্ৰাহী দুটি প্ৰাণ, ঠাই সলনিত।
উত্ৰাৱল লীলা প্ৰাণ, ভাবি দশা মোৰ,
শাৰীৰিক শতেক অপায়। শুণি দশা,
এৰি যোৱা জীৰ্ণ দেহা, অৰ্দ্ধ শুশ্ৰূষাত।
ক্ষীণতৰ দেহা মোৰ, ভাবি পুহু হাঁয়,
বিষাদ ভাৰৰে ঢকা লীলা-মুখ-জ্যোতি।
ডাক-পখী আহে যায় ; অশুভ বাতৰি
দিনে অনা-নিয়া। আহিল উতলি পাচে,
বাতৰি নতুন এটি ; ভাঙ্গি মন-প্ৰাণ,
কৰিলে জীৱন্তে মৰা, অৰ্দ্ধ আত্মাক।
নসহিল প্ৰাণে হাঁয়, উৰিল পখীটি
ভেলা এৰি বিপদৰ ঘোৰ পাকনিত ;
প্ৰাণে-যেঁাটা-ভেলা গল পিচে পিচে ভাহি।
দেখিলোঁ ইবাৰ লীলা, নতুন ভাবত,
নৱ ভাব গৰভিণী ;—গহীন মহান্ !
সোধা-সুধি মনোভাব, ঘোৰ চাহনিৰে,
বিষাদ-গাম্ভীৰ্য্য-সনা মুখামুখি হই।
যাপিলোঁ দুদিন, ভুলি, শাহু-শুশ্ৰূষাত,
লগৰীয়া বিপদৰ শতেক অপায়।
আধা লাজে ভেটি ধৰা, আধা আবেগত,
আচুতীয়া কোঁঠা এৰি, বোৱাৰী-খোজেৰে,
চলাও গহীন খোজ, ইফালে সিফালে।
পৰিলে প্ৰিয়াৰ চকু, মিচকনি-যেঁাটা,
চঞ্চলা-চপলা প্ৰায় উঠে চমকনি,
গাম্ভীৰ্য্যৰ তলি উদঙ্গাই ! চাৰিফালে
নাৰী-চকু জিলিকনি, বাৰ-জলঙ্গাত,
লাজেঢকা মুখ মোৰ জুমি জুমি চোৱা ;
বিপদত নচা মোক লীলা-চাপৰিত।
তৃতীয় দিনৰ আগে, বিদায় বেলিকা,
নিজানে প্ৰিয়াৰ স'তে। বুজালোঁ বিস্তৰ,—
দুদিনীয়া বিৰহত চিন্তা অযুগুত।
নীৰলে পাতিলে কাণ। নেমানিলে প্ৰাণে
দুধাৰি চকু-লো মচি, পূৰ্ণ আবেগত,
নিবেদিলে ঘূৰি হাঁয়, জুৰি দুটি কৰ,—
প্ৰাণৰ একান্ত তৃষ্ণা, স্বামীপদ-সেৱা,
জ্বলিছে হৃদয় জুৰি, গাঢ়তৰ ভাৱে ;
ৰইছে বিশেষ ত্ৰুটি, গত পূজনত ;
আছে বাকী শোধনৰ পূৰ্ব্ব ঋণজাল,
অবুজন বয়সত শাস্তি-শিক্ষা পোৱা ;
একান্ত বাসনা এবে, শুজিব সি ঋণ,
হেঁপাহৰ পূজাভাগ, পূৰ্ণ বয়সত ;
নেলাগে প্ৰাণত আৰু মাতৃ-কোলা-সুখ,
মৰীচিকা মাজে খেলা, স্বামীপদ বিনে !
সুঘূৰিল লীলা-মন শত বুজনিত ;
নোৱাৰিলোঁ একবাৰ লগ-ধৰা-বাহু।

পঞ্চবিংশ সৰ্গ

লীলা-সামৰণ

জুৰিলোঁ পুনৰ আহি পুৰণি সংসাৰ,
পুৰণি ক্ষেত্ৰত ঘূৰি নৱ উলাহেৰে।
নামত পুৰণি অতি, নগৰ প্ৰধান,
পুৰণি 'শোণিতপুৰ'; বাণ নৰপতি,
অমৰ কিৰীটি পিন্ধি অন্তৰ্দ্ধান য'ত।
উষা দেৱী সৃষ্টি-লীলা প্ৰকাশি জগতে,
অগ্নিগড় মাজে য'ত হল অন্তৰ্হিত।
আৰু কত সোঁৱৰণী—উন্নত, মহান্,—
বুকে-বন্ধা নগৰীত ঘূৰি লীলাৱতী,
আধা অঁকা সংসাৰৰ লীলা-চিত্ৰ লই,
আৰম্ভিলে ৰহণৰ পূৰ্ণ প্ৰলেপন,
পুণ্য লীলা জেউতিৰে পূৰ্ণ আকৃতিত।
উজ্বলিল ছবিটিৰ দীপ্তি লীলাময়ী,
সুমাৰৰ পূৰ্ব্বভাগে বন্তি-শলাকানি!
কিবা ৰূপে, কিবা ভাৱে, কিবা পাকনিত,
ঘূৰিল সংসাৰ-লীলা অপূৰ্ব্ব ধাৰে;
একজ্ঞান, একধ্যান, একমন্ত্ৰ স্মৰি,
একান্ত সেৱাত মতি, জন্মশোধ মানি,
স্বামীপদ তলে। শুশ্ৰূষাৰ অন্তসীমা
উদ্দেশ্য প্ৰাণত। মনে মনে মন বুজে,
ভাব বুজে চাওঁতেই সঙ্কেতে যোগান
প্ৰাণৰ বিচৰা কিবা; প্ৰাণে প্ৰাণ দিয়া,
বিপদে সম্পদে অহ, অৰ্দ্ধাঙ্গিনী লীলা।
জন্মান্তৰে মিলনৰ, প্ৰাণপতি সতে,
পূৰ্ণভাৱ প্ৰতিভাত, পূৰ্ণহিয়া জুৰি।
আচৰিত, দেখি হাঁয়, আধ্যাত্মিক ভাব,
অষ্টাদশ বছৰীয়া যুৱতী লীলাৰ!
বুজনি সুৰত পমে, একাণপতীয়া,
জিৰণি আসন বাবেঁ, শুনাওঁ যেতিয়া,
জন্ম-জন্মান্তৰ কথা, চিন্তা-শাস্ত্ৰে লিখা,
বিবেকৰ পাতনি টীকাত। কিযে শান্তি,
বিৰিঙ্গে বিমল মুখে; দাপোণ হিয়াৰ।
দান, দয়া, ক্ষমা, সেৱা দুখিত জনাক,
যত্ন-স্নেহ, মাতৃব্ৰত, শিষ্য-পুত্ৰ সৰে,
দিনেকৰ কৰ্ত্তব্যত কৰি সাৰোগত,
স্বৰ্গৰ চৌচলি জ্যোতি জিলিকনি মুখে,
শান্তিময়ী লীলা, অপেক্ষি যাত্ৰাৰ দিন।
ইৰূপে মাহেক দুই সাধনাৰ ফলে,
উদিল শৰত জোন, উজ্বলি জগত,
শীতলি প্ৰকৃতি বুকু, স্নিগ্ধ শোভা মেলি।
দুৰ্গাদেৱী ভগৱতী, দুৰ্গতি নাশিনী,
ভকত প্ৰাণৰ সদা মুক্তি প্ৰদায়িনী,
আবিৰ্ভূ'তা হল আহি কৰ্ত্তব্য স্মৰি।
সু-প্ৰসন্না ভগৱতী, লীলা-ভকতিত,
মুক্তিলাভ দিলে বৰ, শুভক্ষণ গণি।
সপ্তমীত আৰম্ভণ, অন্ত দশমীত,
দেৱীপূজা লগে লগে স্বামীসেৱা ব্ৰত।
চাপিল ওচৰ ক্ৰমে মহাযাত্ৰা দিন,
বিজয়া দশমী। গোসাঁনীৰ লগে লগে,
ভাহি গল প্ৰাণ; কৰি ব্ৰত সমাপন,
স্বামী পূজা ভাগ। নিবেদিলে অন্তিমত,
নিৰ্দ্দেশি প্ৰকাশ্যে হীৰাৱতী সখীয়াক
সহধৰ্ম্ম পালনৰ ভাবী গৰাকিণী;—
অন্তিমৰ অনুৰোধ স্বামী-চৰণত,
গৃহধৰ্ম্ম চলে যেন সেই অনুক্ৰমে।
ললেহি আসন পাচে, মাউৰ কোলাত,
প্ৰকাশ্যে বিদায় মাগি স্বামী-চৰণত।
সাত দিন সাত ৰাতি, সপ্ত শিষ্যে বেৰি,
ৰাখিলোঁ সাবটি। মানৱ বান্ধনি হাঁয়,
থাকিল বান্ধতে!—কৃষ্ণপক্ষ দ্বিতীয়াৰ
ভৰ-দুপৰত, সামৰি সংসাৰ-লীলা,
স্বৰ্গত জিলিকে গই পুণ্যা লীলাৱতী!

অন্ত

৬ পুহ, ১৮২১ শক

ওপৰঞ্চি

৺বাইদেউ

সোঁৱৰণী শেল বাজিয়ে আছিল,
বিদৰাই ভগা বুকু ;
লগে লগে ধৰি বিষধৰ হুলে
বিন্ধিলে ইবেলি চকু !
নহওঁতে শেষ, শোক-গীত গোৱা
নপৰোঁতে সামৰণী ;
হিয়া ওপচাই, আথাউনি শোকে
কৰে প্ৰাণ অসহনী !—
যাৰ যতনত মাতৃকো নিচিনি
উঠিলোঁ কোঁৱৰ হেন ;
যাৰ চেনেহত, আছিলোঁ বন্ধুৱা,
বিয়াৰ যৌতুক যেন !
যাৰ যতনত লভি জ্ঞান-জ্যোতি,
লভিলোঁ মানৱ নাম ,
যাৰ কৃপা গুণে অৰ্দ্ধাঙ্গিনী সতে
মিলন অমিয়া পান ।
যাৰ অপত্যাত ভ্ৰাতৃবধূ লীলা,
বন্ধুৱা চৰণ তলে ,
মাতৃৰ সমান জ্ঞান উপদেশে,
শান্তিৰ ময়লা বলে ।
শোকৰ অকণি টিপনি হেঁচাত,
মৰম নিজৰা ফুটি ,
দুগালত যাৰ, নিমিষে সুমায়,
অপায় শতেক উটি !
যাৰ চৰণত শোক, দুখ, তাপ,
নিবেদি মুকলি প্ৰাণে ;
সন্তাপ ভাগৰ, আঁতৰে নিমিষে,
বুজনি অমৃত পানে ।
সেই সহোদৰা, বাইদেৱে মোৰ
আপুনি স্বৰগী হই,
সন্তাপ উপৰি চৰাই সন্তাপ,
কৰিলে জীয়াতু অই !
সুবুজিলোঁ বিধি, সৃষ্টিৰ মহিমা
মায়া-ঢকা মহামেলা ;
কিবা তত্ত্ব তাৰ, মৰীচিকাময়,
কিবা সৃষ্টি, শোক-লীলা !

পাণীন্দ্ৰনাথ

হিয়াৰ অৰ্দ্ধেকে এৰা দিয়া পাচে,
চেনেহৰ বাইদেৱে
মৰমৰ থালী উজুটিত নিলে,
আঁতৰি একেটি ডেৰে !
বিষাদ ডাৱৰ হিয়া-আকাশৰ
বৰষি পাতল যেই ,
শোকৰ উপৰি ওপৰঞ্চি শোক
চাতিলা পাণীন্দ্ৰ গই ।
দুদিনৰ আগে সুযোগ্য বন্ধুৰ
সুবিজ্ঞ বুজনি মেলি ,
তাপিত বন্ধুৰ দুখ পতিয়াই
নৰলা দুড়োঁৰ বেলি !
পৰিছে মনত সিদিনাৰ কথা,—
পোনে দুয়ে ফলি লোৱা ,
আৰু সিদিনাৰ, সহপাঠী হই
সমস্বৰে পাঠ গোৱা ।
বয়সে যেতিয়া কৰিলে বান্ধই
পূৰঠ্ দুইকে প্ৰাণ ,
মিলন সুৰত দুয়ে মিলি গোৱা
জীৱন উদ্দেশ্য গান ।
আৰম্ভণ যেৱে মাতৃ-ভাষা সেৱা,
সমান ব্ৰতৰ ভাগী ;
পিচ কৰি মোক সঁপিলা জীৱন,
স্বাৰ্থৰ জোলোঙা ত্যাগি ।

বহু দূৰ তুমি, আগুৱালা এৰি,
পকালা ব্ৰতৰ ফল ;
'নৱাশিক্ষা' তিনি,—আদি, মাজ, শেহ,
আৰ্জ্জিলা পাথেয় বল।
সুমৰি উদ্দেশ্য, লৰি গই মাথোঁ
ধৰিলোঁ তোমাৰ সঙ্গ ;
যুটীয়া সেৱাৰ 'সাহিত্য-সংগ্ৰেহে'
জাতীয় অভাৱ ভঙ্গ।
তাৰো পাচে পুত্ৰ লৰিলোঁ সমানে,
সমান ব্ৰতৰ ভাৰী ;
মিঠা ফল তাৰ এটি-দুটিকই
মলিয়াইলে দুই-চাৰি !
আৰু কত আশা ধৰি আগলই
দুখুনী অসম ধন !
কিয় অকালত সামৰিলা লীলা
দিলা শোক অকথন !!

হুতাশিন প্ৰাণ হায়, হেঁপাহ-ভৰত,
উভতি মাটিত পৰোঁ !
অস্ফুট ভাষাৰ সেই নিফুট্ ৰাগিণী
প্ৰবেশি হিয়াত মোৰ,—
উগুলথুগুল চিত্, —লাগি বিচাটন
কৰে পৰাণ বিভোৰ।

চৰাই

ক'ৰপৰা আহে উৰি, বাতৰি কলই,
আকাশী বাতৰি-ভাৰী ;
শূন্যে শূন্যে দৃষ্টি তাৰ, ওপঙি আহিছে,
মুকলি জগত জুৰি।

কতনা বিৰহী জানো আকাশ তলত,
পৰিছে চকুত তাৰ ;
পৰৰ দুখত দুখী, নিঃস্বাৰ্থ প্ৰেমিক,
প্ৰাণ জানো তোলপাৰ।

যাকে য'ৰ লাগে যেন, আপুনি বিলাব
বিৰহ-বাতৰি মউ ;
আবুজা বুলিবে জানো ভললই চাই,
তাকেহে সুধিছেঁও !

সুধিবৰ আছে মোৰো, বাতৰি প্ৰিয়াৰ
এদোপ্ উধাৰ ধৰোঁ ;

সন্তান

ভাবৰ অস্থিৰে গঢ়ি জঁকা কল্পনাৰ,
সযতনে প্ৰতিষ্ঠা হিয়াত ;
চিন্তাৰে তেজক মথি মাংস বঙহৰ
থাপি থুপি দিলোঁ সি কায়াত।

মগজু মন্থন কৰি ভাবৰ ৰাজ্যত,
দিলোঁ আটি বুজনিৰ সুৰ ;
ভাষাৰ ৰহণ সানি পূৰ্ণ আকৃতিত,
চাওঁ দেখোঁ, পূৰ্ণাকৃতি মোৰ !

ৰূপৱতী জননীৰ ৰূপহ সন্ততি
আনন্দত মাতে কোলা পাতি ;
কুৰূপা জননী বুলি স্বামী-অনুকৃতি
চাই শান্তি নেপায় নে আতি ?

অপত্য চেনেহ অহ, সমজুৱা ধন,
সকলো যে সমভাগী তাৰ ;
জেউতিত নিয়ে কাঢ়ি আনৰ একণ
জগতত সাধ্য এনে কাৰ ?

ভাগ্যৱন্তে নৰদেহী লভে বংশধৰ
মৃত্যুৰ পাচত ৰাখে নাম ;
অভাগাৰ গ্ৰন্থদেহী লাভ সন্তানৰ
সেয়ে যেন সাধে সেই কাম।

মিলন-মহত্ত্ব

স্বৰ্গ-মৰ্ত্ত্য মিলনৰ
        সাক্ষ্য দিয়ে আকাশে-সাগৰে ;
পাতালকো কৰে এক
        চামে চামে মিলন-আকৰে।

*

সুমেৰু কুমেৰু মিল,
        —মেৰুদণ্ড মূৰপুতি জোঁটা ;
বিষুব-বান্ধনী মেৰ,
        ভূমণ্ডল আঁকোৱালি অটা।

*

উদয় অচল স'তে
        অস্তাচল ধ্ৰুৱ সম্মিলন ;
পীতাম্বৰ পূজাৰীয়ে
        পুৱা সন্ধ্যা কৰে আৱাহন।

পদ্ম-ৰাগ সূৰুযত
        —দিনমান মিলন-পোহৰ ;
চন্দ্ৰ-প্ৰভা কুমুদত
        —মিলনৰ হিয়া সৰোবৰ।

*

প্ৰতিভাত প্ৰকৃতিত
        পুৰুষৰ মিলন-মহিমা ;
সৃষ্টিৰ স্বীকাৰ্য্য ৰেখা
        বিয়াপিছে, নাই তাৰ সীমা।

*

সখি-মিলনৰ ফল,—
        কৃষ্ণাৰ্জ্জুন,—গীতা-উৎপত্তি ;—
মানৱাত্মা মুক্তি হেতু
        জগতত শ্ৰেষ্ঠ ধৰ্ম্মভেঁটি।

*

সৃষ্টি-স্থিতি-প্ৰলয়ৰ
        সম্বন্ধ-নিৰ্ব্বন্ধ গূঢ়তত্ত্ব ;
একৰ কাৰণে তিনি,
        —বিশ্বপ্ৰাণ, মিলন-মহত্ত্ব।

লাহৰী

প্ৰথম পাতনি

অসমীয়া উপন্যাস বুলিবলৈ আজিলৈকে এখনো পুথি ওলোৱা নাই। সেই অভাৱ আৰু দুৰ্নাম গুচাবৰ মনেৰেই 'লাহৰী' ৰচিবলৈ হাতত লোৱা হয়। কিন্তু, পুথি ৰচনাৰ ফালে ৰচোঁতাৰ এয়ে পোন-প্ৰথম উদ্যম,—এই 'লাহৰী'য়েই তেওঁৰ মনে-পতা গ্ৰন্থাৱলীৰ লখিমী। এতেকে, ইয়াত যে অনেক আসোঁৱাহ ৰৈছে, তাক নকলেও হয়, গুণগ্ৰাহী ৰাইজে ন-লিখাৰুৰ দোষাদোষত নালাগি, সামান্য গুণৰ ভাগ গ্ৰহণ কৰিলেই লিখকে তেওঁৰ পৰিশ্ৰম সাৰ্থক হৈছে বুলি মানিব।

কোৱা বাহুল্য মাথোন যে, কলিকতাত প্ৰতিষ্ঠিত 'ফুকন-মজিন্দাৰ' কোম্পানীৰ এজেঞ্চিয়ে পুথিখনৰ প্ৰথম তাঙৰণ পোহৰলৈ উলিয়াই নিদিয়া হলে, 'লাহৰী' সতকাই পোহৰলৈ ওলোৱাৰ আশা নাছিল। সেইবাবে আমি সেই কোম্পানীৰ গৰাকী শ্ৰীযুত দুৰ্গানাথ শৰ্ম্মা ফুকনদেৱলৈ এই ছেগতে আমাৰ শলাগৰ শৰাই আগবঢাইছোঁ। ইতি—

কলিকতা
৬৭নং মিৰ্জ্জাপুৰ ষ্ট্ৰীট্
১৫ আহিন, ১৮১৪ শক

বিনীত
শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

দ্বিতীয় পাতনি

পাঁচ বছৰমানৰ ভিতৰতে ১ম তাঙৰণৰ 'লাহৰী' গ্ৰাহকক বিলাবলৈ নাইকিয়া হল। সেই কাৰণে, তাৰ পাচৰ দুবছৰমান আমি গ্ৰাহকৰপৰা তাগিদ্ সহিব লগাত পৰোঁ। তাৰ পাচত, এতিয়া বহু প্ৰবন্ধেৰে এই দ্বিতীয় তাঙৰণ উলিৱা হৈছে। এই তাঙৰণৰ সংস্কাৰত পুথিৰ কলেৱৰ আগতকৈ অলপ বাঢিল, গতিকে, পুথিৰ মূল্যও ৸৹ তিনিসিকিলৈ চৰিল। ইতি—

তেজপুৰ, অসম
১৫ আহিন, ১৮২৩ শক

ৰচোঁতা—গ্ৰন্থকাৰ

তৃতীয় পাতনি

২য় তাঙৰণৰ 'লাহৰী' সমুদায় বিক্ৰি হোৱাত, আকৌ পাবলৈ নাইকিয়া হল। এইবাৰ ভালেমানদিন গ্ৰাহকক পুথি যোগাব নোৱাৰি দুখিত হৈ, বহু-প্ৰবন্ধেৰে এই তৃতীয় তাঙৰণ উলিৱা হৈছে। এইবাৰৰ সংস্কাৰত পুথিৰ কলেৱৰ ভালেমান চৰি উঠাত, ইয়াৰ বেচো ১৲ এটকালৈ চৰিল। ইতি—

তেজপুৰ, অসম
১৫ জেঠ, ১৮৪৬ শক

ৰচোঁতা—গ্ৰন্থকাৰ

চতুৰ্থ পাতনি

৩য় তাঙৰণত 'লাহৰী' ক্ৰমে মেট্ৰিকুলেচন আৰু আই, এ, মহলাৰ্থীৰ পাঠ্য নিৰ্দ্ধাৰিত হোৱা হেতুকে, ইয়াৰ কাটন বহুল হোৱাত, এই পুথি সোনকালে ঢুকাল, কিন্তু আমাৰ আন-আন গ্ৰন্থাদিৰ নতুন নতুন তাঙৰণ উলিৱাত আমি ব্যস্ত থকাৰ কাৰণে, এই চতুৰ্থ তাঙৰণ ছপা কৰোৱাত ভালেমান দিন পলম হল, সেইবাবে আমি ৰাইজৰ ওচৰত ত্ৰুটী মাৰ্জ্জনা মাগিছোঁ। চতুৰ্থ তাঙৰণত আগৰ দোষা-দোষ পাৰ্য্যমানে পৰিশোধন কৰাৰ উপৰি, ভিতৰভাগতো ভালেমান ভাল ভাল সমল ভৰাবলগীয়া হোৱাত, পুথিৰ কলেৱৰ আকৌ বাঢ়ি উঠিল, গতিকে, 'লাহৰী'ৰ মূল্যও ১৷৹ পাঁচসিকিলৈ চৰিল। ইতি—

'পদ্মকুটীৰ', তেজপুৰ, অসম
১৫ বহাগ, ১৮৬৫ শক

ৰচোঁতা—গ্ৰন্থকাৰ

উছৰ্গা

মোৰ

অতি চেনেহৰ

সুমলীয়া ভনী,

ৰায়বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈৰ

প্ৰিয়তমা ভাৰ্য্যা,

৺নাৰায়ণী দেবী সন্দিকৈয়নী

আইদেউৰ পৱিত্ৰ নামত

'সৰুককাইদেউ'ৰ

স্নেহ-স্মৃতি-তৰ্পণ

ৰচোঁতা

লাহৰী

প্ৰথম আধ্যা

পামপুৰ

অসমত “মানৰ দিন” এটা বৰ আপদীয়া যুগান্ত। অসমীয়াৰ মানত আজিকালি তাৰ বিবৃতি সাধুকথাৰ নিচিনা হে হৈছে। সেই আপদৰ কথা নজনা বা নুশুনা মানুহ এতিয়া নাই বুলিলেও বঢ়াই কোৱা নহয়। আজিও সেই দুৰ্দ্দান্ত মান-জাতিৰ আসুৰিক অত্যাচাৰৰ কথা শুনিলে চকু-লো টুকিবলগীয়া হয়। আগৰদিনীয়া বুঢ়া মানুহৰ মুখে সেই অত্যাচাৰত হোৱা অসমীয়া মানুহৰ দুখ-দুৰ্গতিৰ কথা শুনিলে, আজিও ল'ৰা-ছোৱালী ভয়ত অস্থিৰ হয়। সেই সময়ত সদৌ মানুহৰ ওপৰত এটা দৈবিক অভিশাপ পৰিছিল বুলিব পাৰি। কিয়নো, সেই বিপদ যে অকল অসমত হে ঘটিছিল এনে নহয়, আন-আন দেশ-প্ৰদেশতো একে সময়তে একে প্ৰকাৰৰ উৎপাতে তোলপাৰ লগাইছিল।

পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়া ঘাই-মন্ত্ৰী থাকোঁতেই প্ৰথমবাৰ মানে অসম আক্ৰমণ কৰেহি। মান-সেনাৰ লগত ৰণ দিবলৈ অসমীয়া সেনা পঠিয়াই, ইফালে বুঢ়াগোহাঞি ডাঙৰীয়া আকস্মিক-মৃত্যুৰ মুখত পৰিল। বুঢ়াগোহাঞি ডাঙৰীয়াৰ মৃত্যুৰ পাচত, তেওঁৰ সুযোগ্য পুত্ৰ ৰুচিনাথ গোহাঞিদেৱে দেউতাকৰ বিষয়-বাব ললে। পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়া আৰু বদনচন্দ্ৰ বা “মান-অনা-বৰফুকন” দুইৰো ভিতৰত আগৰেপৰা ঘৰুৱা কথাত মনান্তৰ আছিল। তদুপৰি, পূৰ্ণানন্দ ডাঙৰীয়াৰ মৃত্যুৰ পাচত, স্বাৰ্থ সিদ্ধিৰ কাৰণে, চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱো প্ৰকাশ্যে বৰফুকনৰ ফলীয়া হল। ইয়াতে বৰফুকনে কঁকালত বেচি বল পাই, পুৰণি শত্ৰুতাৰ প্ৰতিশোধ দিবৰ অভিপ্ৰায়ে গোপনে ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়াৰ বিপক্ষে ষড়যন্ত্ৰ কৰে। পিচে, সেই কথাৰ সন্তেদ্ পাই ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া তেওঁৰ ফলীয়া অনচাৰেক বৰুৱা, ফুকন আদি বিষয়াৰে সৈতে গোপনে গুৱাহাটীৰ ফালে ভটীয়াই গল। তাৰ পাচত, বৰফুকনে তেওঁবিলাকক ৰংপুৰত নাপাই, তেওঁবিলাকৰ ঘৰ-বাৰী, আত্মীয়-কুটুম্বাদিৰ ওপৰতে খং সাৰিবলৈ ধৰিলে; কিন্তু সদৌশেহত ৰাজমাও দেউতাৰ ষড়যন্ত্ৰত বদনচন্দ্ৰয়ো অকালতে মানৱলীলা সামৰিব লগাত পৰিল। বৰফুকনৰ মৃত্যুৰ পাচত, ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া আকৌ ৰংপুৰলৈ উলটি আহিল। কিন্তু, তেওঁৰ লগত যোৱা অন্যান্য বিষয়াসকলে আৰু উলটিবলৈ মন নেমেলিলে; সিবিলাকে গুৱাহাটীতে কিছুকাল থাকি, একেবাৰে ভবিষ্যত-বিপদৰ হাত সাৰিবৰ মনেৰে, ঠাইতে ব্ৰহ্মপুত্ৰ পাৰ হৈ, উত্তৰপাৰে ন-কৈ মাটি ভাঙ্গি, “পামপুৰ” নামেৰে এখনি গাওঁ পাতি তাতে বসতি কৰি থাকিল। সেই বিষয়াসকল ভাগি আহোঁতে লগত তেওঁবিলাকে বেটীবন্দী, লগুৱা-লিগিৰী, পাইক-লিকচৌ আদিও লৈ আহিছিল। সেই বেটী, বন্দী, পাইক আদিৰ দ্বাৰাই পামপুৰত খেতি-পথাৰ কৰাই বিষয়াসকলে মহাসুখেৰে প্ৰবৰ্ত্তি দিন নিয়াবলৈ ধৰিলে।

সেই বিষয়াসকলৰ মাজত কীৰ্ত্তিনাথ বুঢ়াগোহাঞি নামেৰে ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়াৰ বংশৰ এজনা বিষয়া আছিল। তেওঁ উজনিত থাকোঁতে ডেকাফুকনৰ বিষয়-বাব পাইছিল; গতিকে, তেওঁ এজন প্ৰতাপী লোক আছিল। তদুপৰি, নিজৰ স্বভাৱ-চৰিত্ৰৰ গুণত ৰাইজৰ মাজত তেওঁ এজন বৰ আদৰণীয় আৰু পূজনীয় পুৰুষ আছিল। তেওঁৰ ভাৰ্য্যাও এগৰাকী অতি সুন্দৰী, সাধ্বী আৰু গুণৱতী তিৰোতা আছিল। পুৰুষৰ সমাজত তেওঁৰ স্বামী যেনে, তিৰোতাৰ সমাজত তেৱোঁ তেনে এগৰাকী আদৰুৱা আৰু পূজনীয়া ৰমণী আছিল। স্বামী-ভাৰ্য্যা দুইৰো মাজত দাম্পত্য প্ৰেম এনে গভীৰ আছিল যে,

সিবিলাকৰ ভিতৰত কোনো অসূৱা-অশান্তিৰ কথা হে নালাগে, কেতিয়াও কোনো কথাত অমিল ভাব দেখা নগৈছিল। আৰু, গৃহস্থী কৰ্ম্মত দুয়ো এনে উদ্যোগী আছিল যে, পামপুৰৰ নতুন ঘৰ-বাৰী বছৰেকৰ ভিতৰতে সিবিলাকে ৰংপুৰৰ আগৰ ঘৰ-বাৰীৰ দৰে চকুত লগা কৰি তুলিলে। উজনিত থাকোঁতেও কীৰ্ত্তিনাথ গোহাঞিফুকন এজন বৰ চহকী মানুহ আছিল। কিন্তু, সততে দেখিবলৈ পোৱা যায় যে, যাৰ খাবলৈ-পিন্ধিবলৈ সৰহ, তাৰ খাওঁতা-পিন্ধোতা তাকৰ; যাৰ খাবলৈ-পিন্ধিবলৈ তাকৰ, তাৰ আকৌ খাওঁতা-পিন্ধোতা সৰহ। তাৰ প্ৰমাণ কীৰ্ত্তিনাথ গোহাঞিফুকনৰ গাতে ভালকৈ ফলিয়ায়; তেওঁ যদিও বৰ চহকী লোক আছিল আৰু জনা-বুজা গুণৱতী ভাৰ্য্যাৰ সংসৰ্গত বৰ সুখীয়া আছিল, তথাপি তেওঁৰ আন্তৰিক আক্ষেপ-বেজাৰৰ সীমা নাছিল। কাৰণ, তেওঁৰ বয়স গুৱাহাটীলৈ ভটীয়াই আহিবৰ সময়ত ত্ৰিকুৰি বছৰৰ ওপৰ হৈছিল। প্ৰায় আদহীয়া হব লগা হল, সিমান দিনলৈকে তেওঁ নিজৰ সন্তান বুলিবলৈ ল'ৰা-ছোৱালীৰ মুখ নেদেখিলে! উজনিত থাকোঁতে কত কি যে পূজা-সেৱা, যাগ-যজ্ঞাদি কৰালে, তথাপি তেওঁৰ সেই কামনা পূৰ্ণ নহল। তেওঁৰ গুণৱতী ভাৰ্য্যাই, বংশৰ নাম ৰক্ষাৰ্থে, তেওঁক আৰু এগৰাকী ভাৰ্য্যা বিয়া কৰাবলৈ সততে অনুৰোধও কৰিছিল, কিন্তু কীৰ্ত্তিনাথ গোহাঞিয়ে এগৰাকী ভাৰ্য্যাৰ বৰ্ত্তমানে দ্বিতীয়া ভাৰ্য্যা গ্ৰহণ কৰাৰ কু-ফললৈ গমি চাই, তেনে অবিবেচনাৰ কাম কৰিবলৈ আগ নাবাঢ়িলে। আন্তৰিক সিমান বেজাৰ বুলিও, তেওঁৰ বাহ্যিক ভাব-গতি, চলন-ফুৰণ ইত্যাদিলৈ চাই কোনেও কব নোৱাৰিছিল যে, তেওঁৰ অন্তৰত কিবা অশান্তিয়ে ঠাই পাইছিল। পিছে, গুৱাহাটীলৈ অহাৰ বছৰচাৰেকৰ পাচতে, এজন সাধক সন্ন্যাসীৰে সৈতে তেওঁৰ দেখা-সাক্ষাৎ হয়। সন্ন্যাসীজনৰ ভাব-গতি দেখি তেওঁলৈ গোহাঞিদেৱৰ বৰ ভক্তি হল। তাৰ পাচত, তেওঁৰে সৈতে অনেক কথা-বাৰ্ত্তা পাতোঁতে কথা-প্ৰসঙ্গত কীৰ্ত্তিনাথ গোহাঞিৰ অন্তৰৰ কথা বাজ হৈ পৰিল। সেই বাবে সন্ন্যাসীজনে তেওঁক পুতো কৰি এটি ঔষধ দিলে। সেই ঔষধ আনি ভাৰ্য্যাক সেৱন কৰোৱাৰ মাহচাৰেকৰ পাচতে তাৰ গুণ ধৰিলে; কীৰ্ত্তিনাথ গোহাঞিৰ বহু দিনৰ আশা পূৰণ হবৰ আগন্তুক মিলিলে। তাৰ পাচত, যথাসময়ত তেওঁৰ জ্ঞানৱতী আৰু গুণৱতী ভাৰ্য্যাৰপৰা এটি সুন্দৰী আৰু সুলক্ষণা কন্যা লাভ হল; কীৰ্ত্তিনাথ গোহাঞি-ফুকন আৰু তেওঁৰ মৰমৰ ভাৰ্য্যাৰ অন্তৰত আনন্দৰ সীমা নাথাকিল।

সেই ছোৱালীটি ছমহীয়ামান চালুকীয়া হোৱালৈকে ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া গুৱাহাটীতে আছিল। সেই ছমাহতে ছোৱালীটি বৰ মোহলগা আৰু চকুতলগা হৈ উঠিল। বুঢ়াগোহাঞি ডাঙৰীয়াই মৰমতে নিজৰ বঙহৰ সেই ছোৱালীটিক "লাহৰী" বুলি মাতিছিল। পাচলৈকো ছোৱালীটিৰ সেই আদৰুৱা নামেই নাম হল। বুঢ়াগোহাঞি ডাঙৰীয়া অকৌ উজনিলৈ যোৱাৰ ছমাহমানৰ পাচত ছোৱালীটি খোজ কাঢ়িব পৰা হল। মৰমিয়াল পিতৃ-মাতৃৰ আদৰ পাই, চালুকীয়া "লাহৰী" পাহোৱাল লুভুৰ-পুতুৰটি হৈ বাঢ়িবলৈ ধৰিলে। কীৰ্ত্তিনাথ গোহাঞি-ফুকন আৰু তেওঁৰ প্ৰিয়তমা ভাৰ্য্যাই বহুত দিনৰ আশাৰ ফল লাহৰীক পাই আগৰ আক্ষেপ-সন্তাপ সকলো পাহৰিলে!

ইতিপূৰ্ব্বতে কৈ অহা হৈছে যে, কীৰ্ত্তিনাথ গোহাঞি-ফুকন আৰু তেওঁৰ গুণৱতী ভাৰ্য্যা দুয়ো বৰ উদ্যোগী স্বামী-ভাৰ্য্যা আছিল। পামপুৰত লাহৰী ৰূপে-গুণে বাঢ়ি অহাৰ দৰেই, সিবিলাকৰ সেই গুণো বাঢ়িবলৈ ধৰিলে। তেওঁ-বিলাকক দেখি-শুনি আন-আন বিষয়া সকলো নিজ-নিজ পৰিশ্ৰমৰ বলত অতি অলপ দিনৰ ভিতৰতে টনকিয়াল হৈ উঠিল। বিষয়াসকলে পতা পামপুৰত আন-আন মানুহো দুৱৰ-চাৰিঘৰকৈ আহি বহিবলৈ ধৰাত, লাহে লাহে গাৱঁৰ সীমা চাৰিওফালে বৰ বহল হৈ উঠিল। এই ন-কৈ আহি বসতি কৰা মানুহবিলাক বিষয়াসকলৰ পাইক স্বৰূপ হল। এইদৰে, বিষয়াসকল ৰংপুৰত থাকোতে যেনে সুখত আৰু সুচলত আছিল, পামপুৰত তাতোকৈ অধিক সুখত আৰু সুচলত হে থাকিব পৰা হল। মুঠতে, কবলৈ গলে, বিষয়া-সকলৰ পক্ষে এই পামপুৰ এখন মহাসুখৰ ঠাই আৰু আন-আন ইতৰ মানুহৰ পক্ষে ই শান্তিধাম যেন হৈ উঠিল।

কীৰ্ত্তিনাথ গোহাঞিৰ সদ্‌গুণৰ চিনাকি আগেয়েই অলপ দিয়া হৈছে; তেওঁ নিজ গুণৰ বলতে ৰংপুৰত থকাৰ দৰে, এই পামপুৰতো সকলোৰে মাজত গণ্য, মান্য আৰু পূজনীয় লোক হৈ উঠিছিল।

এইখিনিতে আমি ছেগ বুজি আৰু আন এজন বিষয়াৰ বিষয়েও উঁহুকিয়াই থওঁ। পামপুৰীয়া বিষয়াসকলৰ মাজত শূলধৰ বৰগোহাঞি নামেৰে এজন গণ্য-মান্য লোক আছিল। তেওঁ বৰ হোজা স্বভাৱৰ মানুহ আছিল। 'বৰগোহাঞি' তেওঁৰ ৰাজঘৰীয়া খিতাপ নহয়, বংশীয়া উপাধি হে। তেওঁৰ বিশেষ কোনো বিষয়-বাব নাছিল; বৰগোহাঞি ডাঙৰীয়াৰ ভতিজাক বুলি হে তেওঁকো বৰগোহাঞি খিতাপেৰেই মতা যায়। তেওঁ কোনো এজন লাগতিয়াল বিষয়া নাছিল যদিও, পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়া আৰু চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱৰ বৰ আদৰৰ মানুহ আছিল। গতিকে, তেওঁ কোনো বিষয়-বাব নোপোৱাকৈয়ে বৰ ধনী, মানী আৰু প্ৰতাপী লোক আছিল। তেওঁৰ গৃহিণী গৰাকী কিন্তু বৰ চলাহী তিৰোতা আছিল। তেওঁৰ হোজা গুণ আৰু গৃহিণীৰ চতুৰালিৰ বলতে বৰগোহাঞিদেৱ আগেয়েও ধনী আছিল, এতিয়াও অলপ দিনৰ ভিতৰতে কীৰ্ত্তিনাথ বুঢ়া-গোহাঞিদেৱৰ সমানে ধনী হৈ উঠিল। শূলধৰ বৰগোহাঞিৰ ধনবৰ গোহাঞিদেৱ নামেৰে একেটি মাথোন পুতেক আছিল; পামপুৰলৈ প্ৰথমে অহা বছৰতে ধনবৰৰ বয়স আঠ বছৰত সোমাইছিল। দেউতাক যেনে হোজা, পুতেক তদ্বিপৰীতে তেনে ধূৰ্ত্ত আৰু তীথামথৰা ল'ৰা আছিল; সদৌ কথাতে ধনবৰে পিতৃৰ বিপৰীত স্বভাৱৰ মানুহ হৈ উঠাৰ চিনাকি দিছিল।

এদিন ছেগ বুজি ধনবৰৰ মাক লাহৰীৰ মাকৰ ঘৰলৈ আহি কথা-বাৰ্ত্তা পাতি আছে, এনেতে লাহৰীক ওমলাই লৈ ফুৰা বুঢ়ী বান্দী 'চাকুলী বাই' ওলালহি। বুঢ়ীয়ে ৰংকৈ সুধিলে, "এ, আই, আপোনাসকলে নো কি 'বিয়নীমেল' পাতিছে?" ধনবৰৰ মাকে ৰং-মনেৰে এই বুলি উত্তৰ কাটিলে, "এৰা, ভাল তোৰ মুখত ওলাইছে, সেইটি সম্বন্ধ মিলিলে ভালেই; মোৰো একেটি ল'ৰা, এখেতৰো একেটি ছোৱালী।" লাহৰীৰ মাকে মাজতে মাত লগালে, "নানিব সেইবোৰ কথা মনলৈ এখোন; বোলে, 'সাধি সাধি সাধনীক পালোঁ, সাধনীক দিবলৈ ঠাই নাপালোঁ'; তাই বা কেতিয়া কাৰ ল'ৰা, কাৰ ছোৱালী হয়গৈ কি ঠিক, বিধিৰ লিখন কোনে জানে?" এনেতে, চাকুলী বাইৰ কোলাৰপৰা নামি, মাকৰ ডিঙিত সাৱটি ধৰি, লাহৰীয়ে থুন্‌থুনাই কলে, "ইঃ, আমি হলে ধনবৰৰ লগত নোমলোঁ, সি বৰ দুষ্ট, বৰ বেয়া।" ধনবৰৰ মাকে মাত লগালে, "কিনো দুষ্টালি কৰিলে সি?" লাহৰীয়ে উত্তৰ দিলে, "সিদিনা সি ভাকুচীক চুলি-জোকৰা দিছিল; আৰু মোৰ দৰা-কন্যাযোৰ হাতৰপৰা কাঢ়ি নি সি বকৰানিত পেলাই দিছিল।" শুনি, দুই মাক আৰু চাকুলী বায়ে কিৰিলি মাৰি হাঁহিবলৈ ধৰিলে!

দ্বিতীয় অধ্যায়

ৰংপুৰ

বদন বৰফুকনৰ মৃত্যুৰ পাচত, ৰাজমাও-দেউতাই ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়াক ৰংপুৰলৈ মাতি পঠিয়ালে। কিন্তু, বুঢ়াগোহাঞি ডাঙৰীয়া বৰ সন্দিহান লোক। ৰুচিনাথ ডাঙৰীয়াৰ জনা আছিল যে, চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱে তেওঁৰ দেউতাক ৺পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়াৰ বিপক্ষে মান অনাত বৰফুকনক পেটে-পেটে টিপ্‌ দিছিল। গতিকে, চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱে তেওঁৰ প্ৰতিও যে শত্ৰুতা আচৰণ কৰিব পাৰে, সেই কথাত তেওঁ আশঙ্কা কৰিছিল। কিন্তু, সেই বুলি ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া আওকণীয়া হৈ বাই নাছিল; তেওঁ তলে তলে সৈন্য-সামন্ত গোটাই লৈ, আকৌ উজাবলৈ কাৰবাৰ কৰিলে। চন্দ্ৰকান্তসিংহ স্বৰ্গ-দেৱক ভাঙি, ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ বংশৰ পুৰন্দৰসিংহ গোহাঞিদেৱক ৰজা পাতিবলৈ তেওঁ মনে-মনে ঠিক কৰিলে। সেই সময়ত পুৰন্দৰসিংহ গোহাঞিদেৱ দেউতা-কৰে সৈতে চিলমাৰিত আছিলগৈ। ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়াই পুৰন্দৰসিংহ গোহাঞিদেৱৰ দেউতাক ব্ৰজনাথ গোহাঞিদেৱলৈ নিজৰ মনৰ কথা ভাঙি পত্ৰ লিখিলে।

ব্ৰজনাথ গোহাঞিদেৱে পুতেক পুৰন্দৰসিংহ গোহাঞিদেৱক লগত লৈ যথাসময়ত গোপনে গুৱাহাটী পালেহি। তাৰ পাচত, ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়াই সৈন্য-সামন্ত লগত লৈ আকৌ ৰংপুৰ নগৰলৈ যাত্ৰা কৰিলে। সেই কথাৰ সম্বেদ্ পাই, চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱে লুকু ডেকাফুকন নামেৰে এজন বিষয়াক ৰাজ্য-ভাৰ গতাই দি পলাই ফাট্ মাৰিলে। লুকু ডেকাফুকনৰ লগত ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়াৰ চুৰ্‌চুৰীয়াকৈ এখন ৰণ লাগিল। ৰণত ডেকাফুকন পৰিল; বুঢ়াগোহাঞি ডাঙৰীয়াই পুৰন্দৰসিংহ গোহাঞিদেৱক যুৱৰাজ পাতিলে।

ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া যদিও মৰমিয়াল লোক আছিল, তথাপি চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱ তেওঁৰ দেউতাক পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়াই পতা ৰজা বুলি হে তেওঁৰ বিশেষ অনিষ্ট কৰিবলৈ তেওঁ কাৰবাৰ নকৰিলে; কিন্তু বদনচন্দ্ৰ বৰফুকনৰ শত্ৰুতা আৰু অত্যাচাৰৰ কথা তেওঁ পাহৰিব নোৱাৰিলে। বৰফুকনে যেনেকৈ তেওঁক নাপাই তেওঁৰ ঘৰ-বাৰী, বয়-বস্তু আৰু আত্মীয়-কুটুম্বাদিৰ ওপৰতে খং সাৰিলে, সেই দৰে বুঢ়াগোহাঞি ডাঙৰীয়ায়ো বৰফুকনৰ ঘৰ-দুৱাৰ ভাঙ্গি বয়-বস্তু লুটপাট্ কৰি নগুৰনাস্তি কৰিলে। তদুপৰি, বদনচন্দ্ৰৰ পৰিয়াল আৰু আত্মীয়-কুটুম্বাদিক নানা তৰহৰ উগ্ৰ দণ্ড দি বিষম অত্যাচাৰ কৰিবলৈ ধৰিলে। সেই অত্যাচাৰৰ প্ৰকোপত বৰফুকনৰ ফলীয়া আৰু তেওঁৰ সম্পৰ্কীয় মানুহ যেয়ে যিফালে পাৰিলে সেইফালেই ফিৰিঙ্গতি ভগা দি ভাগিবলৈ ধৰিলে।

সেই অত্যাচাৰৰ সময়ত থাওৰুৰু মৰাণ-বুঢ়াগোহাঞি ডাঙৰীয়াৰ দ্বিতীয় পুত্ৰ, চাওফ্ৰংডাম বুঢ়াগোহাঞি ডাঙৰীয়াৰ কনিষ্ঠ সহোদৰ, কুন্‌কাই গোহাঞি-বৰুৱাৰ ফৈদৰ শান্তিৰাম গোহাঞি-বৰুৱা নামেৰে এজনা বিষয়া আছিল; তেওঁ তেতিয়া মৰাণ-গোহাঞি বৰুৱাৰ বিষয়-বাব পাইছিল। তেওঁ বৰফুকনৰে সৈতে জীয়াৰী-সম্বন্ধৰ সম্বন্ধীয়া আছিল; গতিকে তেওঁৰ ওপৰতো বুঢ়াগোহাঞি ডাঙৰীয়াৰ ভায়েক মৰঙ্গিখোৱা গোহাঞিৰ কোপ-দৃষ্টি অতি তীব্ৰভাৱে পৰিল। কিন্তু, যদিও বৰফুকনৰ সম্বন্ধীয়া মানুহ, তথাপি তেওঁ বৰফুকনৰ অত্যাচাৰাদিৰ লগত কোনো সম্পৰ্ক ৰখা নাছিল; বৰঞ্চ, তেওঁ বৰফুকনক এনেবিলাক অন্যায় কাৰ্য্যৰ-পৰা ক্ষান্ত হবলৈ বৰকৈ অনুৰোধ হে কৰিছিল। তেওঁৰ নাম যেনে, তেওঁৰ স্বভাৱ-চৰিত্ৰও তেনে আছিল। শান্তিৰাম গোহাঞি-বৰুৱা এনে শান্ত স্বভাৱৰ লোক আছিল যে, সেই উৎপাত্ আৰু অত্যাচাৰৰ সময়ত তেওঁক এজন শান্তিৰ আধাৰ যেনকৈ হে মানুহে মানিছিল। তেওঁৰ ভাৰ্য্যাও সেই দৰেই এগৰাকী বৰ গুণৱতী আৰু জ্ঞানৱতী তিৰোতা আছিল। সিবিলাকৰ সন্তান বুলিবলৈ একেটি মাথোন পুতেক আছিল। পুতেকটি সেই অত্যাচাৰৰ সময়ত সাত-বছৰীয়া হৈছিল; তেওঁৰ নাম কমলনাথ গোহাঞি-বৰুৱা। তেওঁ সৰুৰেপৰা দেখিবলৈ এনে সুন্দৰ আৰু বেথা-লগা আছিল যে, সাতবছৰীয়াটিলৈকে আইতাক, দেউতাক আৰু ওচৰ-চুবুৰীয়া সকলোৰে মানত তেওঁ কোলাৰ ছমহীয়া চালুকীয়া ল'ৰা যেন হে আছিল। যাৰ ঘৰলৈকে যায়, তাতে ইটোৱে-সিটোৱে কোলাত লওঁতেই কমল গোহাঞি দেৱ মাটিত নামিবলৈকে নাপায়। বাটত বা মানুহৰ্ ঘৰৰ আগেদি কেতিয়াবা লগুৱাৰ হাতত ধৰি ধেমালিত ডেও দি ফুৰা কমলক দেখিলে, যেয়ে যতে থাকে সেয়ে তৰেপৰা ঠৰ্ লাগি চাই থাকে। আন কি, ‘কমল মইনা'লৈ চাওঁতে সূতা-কটা বুঢ়ীৰ হাতৰপৰাও সূতা সৰি পৰে! এনে পূৰ্ণিমাৰ জোন যেন সুন্দৰ ল'ৰাৰ পিতৃ-মাতৃ যে কিমান সুখীয়া আছিল, তাক অনুমানত হে ভালকৈ বুজিব পাৰি। সৃষ্টিকৰ্ত্তাই যাক যেনে সুন্দৰ কৰি সৃজন কৰে, তাক তেনে সদ্‌গুণেৰেও অলঙ্কৃত কৰে। সততে দেখিবলৈ পোৱা যায় যে, দেৱতুল্য মানুহৰ গুণো দেৱযোগ্য হয়। কমলনাথ গোহাঞি-বৰুৱাদেৱৰ ল'ৰাকালত তেওঁৰ সদ্‌গুণৰ চিনাকিলৈ আৰু স্বভাৱ-চৰিত্ৰাদিলৈ চাই, তেওঁক শান্তিময় শান্তিৰাম গোহাঞিবৰুৱাৰ সুযোগ্য সন্তান বুলি সকলোৱে মানিছিল। কমল গোহাঞিদেৱ যদিও সৰুৰেপৰা সকলোৰে আদৰ পাই অতি আলসুৱা হৈ উঠিছিল, তথাপি তেতিয়াৰেপৰা তেওঁক পুৰুষৰ কামত বৰ অনুৰাগী দেখা গৈছিল। বিশেষকৈ, লিখা-পঢ়াত তেওঁৰ বৰ ধাউতি আছিল। আঠবছৰীয়াটিতে তেওঁ কেইবাটাও কিতাপ লুটিয়াইছিল। আমি কমল গোহাঞিদেৱৰ কথা সম্প্ৰতি ইমানতে এৰি, এই ছেগতে

আৰৌ ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া আৰু তেওঁৰ ভায়েক মৰঙ্গিখোৱা গোহাঞিৰ অত্যাচাৰৰ বিষয়ে আৰু অলপ বহলাই উনুকিয়াওঁ।

দিনে দিনে বৰফুকনৰ সম্বন্ধীয়া মানুহৰ ওপৰত ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া আৰু মৰঙ্গিখোৱা গোহাঞিৰ অত্যাচাৰ তাল পৰিমাণে বাঢ়িবলৈ ধৰিলে। বুঢ়াগোহাঞি ডাঙৰীয়া বিবেচক লোক আছিল; তেওঁ নিজৰ একে বংশমূলৰপৰা উদ্ভৱ হোৱা শান্তিময় শান্তিৰাম গোহাঞি-বৰুৱাৰ ওপৰত নিজে একো অত্যাচাৰ কৰা নাছিল। কিন্তু, মৰঙ্গিখোৱা গোহাঞিৰ কোপ-দৃষ্টি সৰু-বৰ, ভাল-বেয়া, নিলগীয়া-সম্বন্ধীয়া সকলোৰে ওপৰত সমভাৱে পৰিছিল; কেতিয়াবা সৰু বা শান্তৰ ওপৰত তেওঁৰ অত্যাচাৰ একোব চৰা হে দেখা গৈছিল। গতিকে, শান্তিৰাম গোহাঞিবৰুৱাৰ ওপৰতো তেওঁৰ উগ্ৰ দৃষ্টি পৰে। পাচলৈ মৰঙ্গিখোৱা গোহাঞিৰ আসুৰিক উপদ্ৰৱ ইমান অসহ্য হৈ উঠিল যে, শান্তিময় শান্তিৰাম গোহাঞি-বৰুৱায়ো তাত হাৰ মানিব লগাত পৰিল। সদৌশেহত, তেওঁ নিৰুপায় হৈ, অন্যান্য চুবুৰীয়া আৰু কুটুম্বাদিৰ দৰে, ঘৰ-বাৰী এৰি গুৱাহাটীলৈ ভটীয়াই যাবলৈ ঠিক কৰিলে। কিন্তু, ঘৰ-বাৰী এৰিব লগাত পৰিল বুলিও, তেওঁ অন্যৰ দৰে পলাই ফিৰিঙ্গতি ওফৰাদি ওফৰা মানুহ নাছিল। কমল তেতিয়া নিচেই ল'ৰা; ভগনীয়া মানুহৰ দুখ-কষ্ট সহিব পৰা নৌ হয়। শান্তিৰাম গোহাঞি-বৰুৱাই সেই কোমল কমল আৰু মৰমৰ ভাৰ্য্যাই দুখ পায় বুলিয়েই নাৱেৰে ভটীয়াবলৈ স্থিৰ কৰিলে। সেই সময়ত ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া আৰু মৰঙ্গিখোৱা গোহাঞিৰ প্ৰতাপ অতি প্ৰবল আছিল বুলিও, শান্তিৰাম গোহাঞি-বৰুৱাই ইচ্ছা কৰা মাত্ৰে দুখীয়া চুবুৰীয়া প্ৰজাই মৰণত শৰণ দি নাৱৰীয়াই সৈতে নাও আনি গোহাঞি-বৰুৱাৰ ঘাটত বান্ধিলেহি। শান্তিৰাম গোহাঞি-বৰুৱা দেশ এৰি বিদেশলৈ যাবলৈ ওলাইছে বুলি শুনা মাত্ৰকে সুখী-দুখী সকলোৱে শক্তি অনুসৰি যেয়ে যি পাৰিলে হাতত লৈ গোহাঞি-বৰুৱাদেৱক সাক্ষাৎ কৰিবলৈ আহি চ'ৰাঘৰ ভৰি পৰিল। সিফালে, ভিতৰত ওচৰ-চুবুৰীয়াসকলে কমলক কোলাত লৈ কন্দা-কটা লগাইছে; আৰু কমলৰ আইতাকক সাক্ষাৎ কৰিবলৈ অহা তিৰোতা ভিতৰত বুলনি ভৰি পৰিছেহি। আজি শান্তিৰাম গোহাঞি-বৰুৱাৰ চুবুৰীয়া দুখীয়া প্ৰজাসকল সদ্‌গুণৰ পূজাত বিয়ামোহ দি পৰিছে! আজি এই দুখীয়া প্ৰজাসকলে ৰাইজৰ ৰাজ-হুৱা বস্তু শান্তিক হেৰুৱাব লগাত পৰিছে! এতিয়াৰ অসমতই যেনে এটা আপুৰুগীয়া দৃশ্য, পুৰণি অসমতো সি এটা সততে নেদেখা বিৰল দৃশ্য। বাহিৰৰ চ'ৰাত গোহাঞি-বৰুৱাক চাৰিওফালে বেৰি লৈ সকলো বেজাৰত জঁয় পৰিছে। ভিতৰত কোলাকুলি, আন্দোলা-আন্দুলিৰে তোলপাৰ লাগিছে। ইফালে বস্তু বন্ধাই বস্তু বান্ধিছে; নাৱত ভৰা দিয়াই ভৰা দিছেগৈ। কিন্তু, কিনো দিছে, কিনো বান্ধিছে, গোহাঞিবৰুৱা-বৰুৱানীৰ একো খবৰ নাই। কমল নিচেই সৰু যদিও, বৰ তীক্ষ্ণ বুদ্ধিৰ ল'ৰা আছিল; তেওঁৰ দেউতাক, আইতাক আৰু তেওঁৰ নিজৰ লগত সেই মানুহবিলাকৰ কি সম্বন্ধ আৰু সিবিলাকনো কিয় এনে ব্যাকুল, সেইটো তেওঁ বেচকৈ বুজিব পাৰিছিল। ওচৰ-চুবুৰীয়াসকলক কান্দিবৰ দেখি কমলেও উচুপি উচুপি কান্দি ফুৰিছিল। কিন্তু, যি চুবুৰীয়া মৰমতে মৰি যায়, তেনে চুবুৰীয়াই তো সেই কমলৰ কোমল প্ৰাণত বাথা দিবলৈ ভাল নাপায়! আৰু, মিছাতে কন্দা-কটা লগাই তেওঁবিলাকৰ বেজাৰ বঢ়োৱাৰ সকাম নাই ভাবি, লৰা-লৰিকৈ সকলোৱে লাগিভাগি গোহাঞি-বৰুৱাক ল'ৰা-তিৰোতাৰে সৈতে নি নাৱত তুলি দিলেগৈ। অলপ পৰৰ পাচতে নাও মেলি দিয়া হল। আগ বঢ়াই থবলৈ যোৱা সকলোটিয়ে চকুৰে দেখালৈকে কাঠৰ পুতলাশাৰীৰ দৰে একে ঠৰে চাই আছিল; তাৰ পাচত পৰস্পৰে চকু চোৱা-চুই কৰি বুজাবুজি হল যে, আজি হে তেওঁবিলাকৰ শান্তি-ধাম যেন ৰংপুৰ চহৰ অশান্তিৰ থল যেন অৰন্যত এৰি শান্তিয়ে চিৰকাললৈ বিদায় ললে!

ভটীয়নি পানী পাই নাৱৰীয়াই হেলাৰঙ্গে কোবা-কুবিকৈ নাও বাবলৈ ধৰিলে। দুভঁৰমান বেলি থাকোঁতেই দিখৌমুখেদি নাও বৰ-নৈ ওলালগৈ। ঘৰৰপৰা ওলাবৰ সময়ত উগুল-থুগুল লগাত কাৰো ভাত-পানী খোৱা ভাল

নহল ; কোমল কমল ভোক-ভোককৈ আইতাকৰ ওচৰত কান্দিবলৈ ধৰিলে। গতিকে, সেই দিনা বহুত ভটীয়াই যোৱা নহল ; বৰ-নৈ ওলায়েই লাহেকৈ সিপাৰলৈ খেও দি বৰ বালি এটাৰ কাষত নাও বন্ধা হল। সকলোৱে পাৰলৈ উঠি দিহাদিহি ভাত খোৱাৰ কাৰবাৰ কৰিবলৈ ধৰিলে। কমলে নৈৰ তেনেকুৱা ফট্‌ফটীয়া বালি আগেয়ে কেতিয়াও দেখা নাছিল। লগুৱা লগত দি, দেউতাকে আগত থাকি সদায় দিখৌ নৈৰ পানীত সাঁতুৰিবলৈ শিকাইছিল বুলিও বৰ-নৈৰ বাহিৰে এনে বালি ক'ত দেখা পাব ? আজি বৰ-নৈৰ বালি পাই কমলৰ আনন্দৰ সীমা নাথাকিল। পাৰলৈ উঠা মাত্রকে কমলে জঁপিয়াবলৈ ধৰিলে। যিমানেই হওক, তেওঁ ল'ৰা ; ঘৰৰপৰা ওলাওঁতে ওচৰ-চুবুৰীয়া সকলোকে কন্দা দেখি কান্দিছিল হয়, কিন্তু বৰ-নৈৰ বালিত নমা মাত্রকে কমলে সকলো পাহৰিলে। আন কি, বাটতে লগা ভোকো কেনিবা গল ! ভাত খাবলৈ বিচাৰক ছাৰি মাকে মাতিও নোপোৱা হে হল। সন্ধিয়া লাগোঁ-লাগোঁতেই সকলোৱে খোৱা-লোৱা শেষ হল; আকৌ সকলোটি নাৱত উঠিলগৈ। অলপ পৰ জিৰাই-শঁতাই ৰাতি এডাঁৰ-মান হওঁতেই, আকৌ নাও মেলি দিয়া হল। তাৰ পাচত, দিনে-ৰাতিয়ে নাও মাৰি, নাৱৰীয়াই দুদিনতে চাৰি দিনৰ সমানে নাও ভটীয়ালে ; গুৱাহাটীলৈ আৰু দুদিনমান হে থাকিলগৈ। তৃতীয় দিনা তিনি ডাঁৰমান বেলি থাকোঁতেই, আবেলিতে গোহাঞি-বৰুৱাই নাও বন্ধাই ভাত-পানী খোৱাৰ দিহা কৰালে। আজি কিন্তু বালি দেখি কমলৰ মনত আন দিনাৰ দৰে ৰং নালাগিল; আজি হঠাতে তেওঁৰ মনটি কেনেবা লগাত আমন্‌জিমনকৈ কমল আই-তাকৰ ওচৰতে বহি থাকিল। একো-একোবাৰ মাথোন কমলে দেউতাকৰ ওচৰলৈ গৈ তেওঁৰ মুখলৈ চাই থাকি মন মাৰি আকৌ আইতাকৰ গুৰিলৈ আহে। দেউতাকে বা আইতাকে কমলৰ ভাব-গতিলৈ সিমান মন কৰা নাছিল। আজি কমলৰ বালি-খেলা আইতাক আৰু দেউতাকৰ ওচৰলৈ অহা-যোৱা কৰোঁতেই পাৰ হল ;—কিয়, কব নোৱাৰি। ভাত-পানী খাই উঠি দুখনমান তামোল খোৱাৰ সময় জিৰাই গোহাঞি-বৰুৱাৰ আজ্ঞামতে নাৱৰীয়াইঁতে আকৌ নাও মেলি দিলে। গোহাঞি-বৰুৱা ঘৰৰপৰা ওলাওঁতেই কৃষ্ণপক্ষৰ শেহছোৱা ; আজি অমাবস্যা ৰাতি। কিন্তু, বতৰ ফৰকাল আছিল ; আকাশৰ তৰা এটিও বাকী নথকাকৈ পলাইছিল। নাৱৰীয়াবিলাকে নাম-গান গাই, নাও মাৰিবলৈ ধৰিলে। এইদৰে নাও এপৰমান ৰাতি গল। আন দিনা হলে কমলৰ শুবৰ সময় হলহি। ঠিক আৰু এখনমান তামোল খাবৰ পৰ নাও চলিছে, এনেতে গিৰ্‌গিৰণি শব্দ শুনা গল। তাৰ অলপ পাচতে সেই আন্ধাৰ ৰাতিক ঘোপ্‌মৰা আন্ধাৰ কৰি ডাৱৰে ছাটি ধৰিলে, আকাশৰ তৰা এটিও নেদেখা হল। চাওঁতে চাওঁতে ঢেৰেকনি-ধুমুহাত বৰ-নৈৰ পানীয়ে টল্‌বলাবলৈ ধৰিলে। চাৰিওফালে নাৱৰীয়াবিলাকে ধৰ্-ধৰ্ মাৰ্-মাৰ্ কৰি কোঢাল লগাই উঠিলে। কমলে ভয় খাই এবাৰ আইতা-কৰ আৰু এবাৰ দেউতাকৰ মুখলৈ চাই তেওঁবিলাককো বিতত্ হোৱা দেখি চিঞৰিবলৈ ধৰিলে। কোবাকুবিকৈ পাৰৰ ফালে নাও মৰা হৈছে হয়, কিন্তু প্রতি মুহূর্ত্তে নাও বুৰে বুৰে হৈছে! এইদৰে আৰু অলপ পৰ যাওঁতেই বৰ ডাঙৰ ঢৌ এটাই আছাৰ খুৱাই নাওখন চাঁত্‌কৰে আতৰাই নি থিয় কৰি পেলালে! চাৰিওফালে 'ধৰঔ' 'মাৰঔ' 'কমলঔ' ইত্যাদি শব্দ উঠি নিমিষতে আকৌ মাৰ গল !—ক্ষন্তেকতে কোন্ কলৈ গল, তাৰ একো চিন্ নোহোৱাত পৰিল !!

তৃতীয় আধ্যা

চালুকীয়া লাহৰী

আমাৰ পাঠকসকলে মৰমৰ কমলক হেৰুৱাই বোধকৰোঁ শোকত বিমোৰ হৈছে। সেই কাৰণে, আমি তেওঁবিলাকক বেগাবেগিকৈ ন-ভগনীয়া বিষয়াসকলৰ দুখ পাহৰোৱা সুখৰ ঠাই পামপুৰলৈ যাওঁ। আমি পামপুৰ এৰি গৈ ৰংপুৰ নগৰত থকা আঠ মাহত সোমালহি। সেই অলপ দিনৰ ভিতৰতে পামপুৰৰ এনে পৰিবর্ত্তন ঘটিল যে, এতিয়া সেই গাওঁখনি বিতোপন ন-পাম যেন লাগিছে। উদ্যোগী কীর্ত্তিনাথ গোহাঞি সোৰোপা হৈ বহি থকা মানুহ নহয়; আমি

আগৰবাৰ দেখোঁতে তেওঁৰ ঘৰ-বাৰী ন-ভগনীয়া মানুহৰ দৰে হে আছিল। এতিয়া তেওঁ চাৰিওফালে ঢাপ মৰাই পদূলি বন্ধাই নিজাপি মানুহৰ দৰে বাৰী পাতিলে। বাৰীৰ ভিতৰত যে কিমান উন্নতি হ'ল সেইবোৰ ভাঙ্গি কবলৈ গলে বহুত। তেওঁৰ বাৰীখনো সামান্য বহল নাছিল, প্ৰায় এপুৰা মাটি। বাৰীৰ পিচফালে তেওঁ এটা পুখুৰী খনালে। পুখুৰীৰ চাৰিওপাৰে এনলকৈ বহলাই গোলাপ, মালতী, তগৰ, জাতি, জুই, খৰিকাজাঁই ইত্যাদি নানা তৰহৰ ভাল ভাল ফুল আৰু দেখিবলৈ ধুনীয়া সৰু সৰু গছ-গছনিৰে সৈতে তেওঁ এখনি চাৰিপৰীয়া ফুলনি পাতিলে। ফুলনিৰ মাজেদি তিনি হাত বহলকৈ পুখুৰীৰ চাৰিওপাৰ মেৰাই জুৰত ফুৰিবলৈ এটি অতি সুন্দৰ বাট। সেই বাটৰ দুই দাঁতিৰ ঠায়ে ঠায়ে আৰু পুখুৰীৰ চাৰি চুকে লতা, ফুল, পাণৰ মাহী আদি ৰঙ্গা, হালধীয়া, সেউজীয়া দেখিবলৈ ভাল সৰু সৰু গছৰ একোটি জোপা। সেই জোপাৰ ভিতৰত গছ-গছনি একো নাই, মাথোন দুটিমান মানুহ থিয় হব পৰা একো-ডোখৰ ডুবৰিবনেৰে ছাটি থোৱা ঠাই সেই ৰঙ্গা, বগা, হালধীয়া ধুনীয়া ধুনীয়া গছেৰে বেৰি থোৱা হৈছে। আৰু, প্ৰতি দহ হাতৰ অন্তৰত একোজুপিকৈ সেই বাটৰ দুকাষে দুশাৰী সুমথিৰা টেঙ্গা। পুখুৰীৰ পাৰলৈ অলপ নিলগৰপৰা চাই পঠিয়ালে এটি বৰ সুন্দৰ উদ্যানৰ ছবি! তাতে আকৌ নানা তৰহৰ ফুলবোৰ ফুলি জকমকাব লাগিছে। ৰঙা ৰঙা সুমথিৰা টেঙ্গা ডাল ভৰি ভৰি লাগি ফুলৰ ওপৰে তিৰ্‌বিৰাব লাগিছে। এই পুখুৰীৰ পাৰত ফুলনিৰ মাজে মাজে ফুৰাৰ কথাকে নকওঁ, তালৈ নিলগৰপৰা চাই থাকিলেও হিয়া জুৰায়; বহুত দুখে-ভাগৰে অহা মানুহে ভোক-পিয়াহ সকলো পাহৰি যায়। তাতে এতিয়া আবেলি-বেলিকা! পছিম ফালৰপৰা সেন্দুৰীয়া ৰ'দ পৰি সেই শোভাৰ জেউতি আৰু মনমোহাকৈ চৰাইছে!

তাৰ পাচত, এবাৰ পদূলিলৈ ওলাওঁ। পদূলিৰ বিষয়ে বহলাই নকলেও হব। পিচফালৰ পুখুৰীৰ বিতোপন শোভা চায়ে আগফালৰ পদূলিৰ শোভাও অনুমান কৰিব পাৰি। পদূলিৰ দুকাষে দুখনি দুহাতমান বহল দীঘলী ফুলনি। বাট-চ'ৰাৰ দুকাষে দুজুপি বকুল ফুল। পদূলিমুৰত থিয় হোৱা মাত্ৰকে আমোলমোল গোন্ধত মুগ্ধ হোৱা যায়। বাট-চ'ৰাৰ সমুখতে ৰাজবাটৰ সিপাৰে এটি সৰু পঢ়াশালি। তাতে বিষয়াসকলৰ আৰু আন মানুহৰ ল'ৰা-ছোৱালীয়ে পঢ়েহি। এই পঢ়াশালিটি কীৰ্ত্তিনাথ গোহাঞিদেৱে বহু যত্নেৰে স্থাপন কৰে। তেওঁ নিজে গুৱাহাটীলৈ গৈ এজন ভাল শিক্ষিত পণ্ডিত আনি এই পঢ়াশালিৰ অধ্যাপক পাতে। আৰু, তেওঁৰ উৎসাহতে আন-আন বিষয়াসকলেও যোগ দি পঢ়াশালিটিৰ অৱস্থা বৰ টনকিয়াল কৰি ৰাখিছিল।

পাঠকসকলে, বোধকৰোঁ, তেওঁবিলাকৰ চেনেহী লাহৰীৰ কথা আকৌ শুনিবলৈ আশা পালি আছে। আমি সিবাৰ লাহৰীক দুবছৰীয়াটি হওঁতেই এৰি আহিছিলোঁ। তেতিয়াই পাঠকে ৰূপহী লাহৰীৰ ৰূপ-গুণৰ বিষয়ে অলপ আভাস পাইছিল। এতিয়া সেই ৰূপ আৰু গুণৰ বিষয়ে অলপ বহলাই কোৱা যাওক। দিনক-দিনে লাহৰীৰ গঢ়-গতি সকলো ভালৰ ফালে ঢাল লয়। সদায় দেখি থকা পিতৃ-মাতৃ আৰু ওচৰ-চুবুৰীয়াই সিমান গম্ ধৰিব পৰা নাই যদিও, আমি বহুত দিনৰ মূৰত দেখি সেই ৰূপ-গুণৰ লক্ষণ ভালকৈ ধৰিব পাৰিছোঁ। লাহৰীৰ বয়স যদিও এতিয়া চাৰি বছৰত সোমাইছে মাথোন, নেদেখা মানুহে দেখিলে তেওঁক পোনেই পাঁচ-ছবছৰীয়া ছোৱালী হে বুলিব। বয়সৰ লগে লগে লাহৰীৰ ৰূপ-গুণৰ জেউতি চতুৰ্গুণে চৰি আহিবলৈ ধৰিলে। ছমহীয়াটিতে বুঢ়াগোহাঞি ডাঙৰীয়াই লাহৰীক ৰূপ-গুণৰ বাবেই "লাহৰী" নাম দিছিল। এতিয়া তেওঁৰ বয়স চাৰি বছৰত পৰিলহি, গতিকে এতিয়া সেই সৰুকালৰ ৰূপৰ জেউতি কিমান চৰিছে, তাক সহজে অনুমান কৰিব পাৰি। মুঠতে, কবলৈ গ'লে, সাধাৰণ মানুহৰ ঘৰত এনে ৰূপৰ জেউতি দেখিবলৈ পোৱা টান। নিৰলে বহি থাকিলে, লাহৰীক ধুনীয়া মমৰ পুতলা এটি বুলি ভ্ৰম হয়। স্বভাৱ-চৰিত্ৰাদিৰ সম্বন্ধেও একে কথাই; এনে এটি মনমোহা মমৰ পুতলা যেন সুন্দৰ মূৰ্ত্তিত যে পৃথিবীৰ নাৰী জাতিৰ সকলো গুণে থানিকা পাতিব, সেইটো স্বাভাৱিক কথা। তদুপৰি, সৃষ্টিকৰ্ত্তাই বহু পুৰুষাৰ্থ কৰি জগতৰ ভাল ভাল বস্তুৰ সাৰ অংশ আনি অতি যতনেৰে সৃষ্টি কৰা এনে এটি সুন্দৰ মূৰ্ত্তিত যে দোষৰ কিবা চেকা থাকিব পাৰে তেনে ভাবে

মনত ঠাইকে নাপায়। বিশেষ, ল'ৰা-ছোৱালীৰ স্বভাৱ-চৰিত্ৰ সততে মাক-বাপেকৰ ছাবেৰেই হয়। লাহৰীৰ আইতাক-দেউতাকৰ স্বভাৱ-চৰিত্ৰ, গুণাগুণৰ কথা আগতে উন্মুকিয়াই অহা হৈছে। এতেকে, তেনে মাক-বাপেকৰ জীয়েক যে চৰিত্ৰৱতী হব, সি একো আচৰিত কথা নহয়। লাহৰীৰ সেই সৰু কালৰেপৰা তিৰোতাৰ ঘৰুৱা কাম শিকিবলৈ বৰ ধাউতি; ঘৰত কাম কৰিবলৈ বেটী-বন্দী থাকোতেও, লাহৰীয়ে নিজৰ লাগতিয়াল কাম কৰিবলগীয়া হলে, পৰাখিনি আপুনি কৰি লয়। লাহৰীৰ আইতাকো আন তিৰোতাৰ দৰে, এনে আলসুৱা চিকুণ পুতলাক কাম কৰিবলৈ নিদি বুকুৰ মাজত সুমাই লৈ থকা বিধৰ গৃহিণী নহয়। তেওঁ লাহৰীক কোনো কাম কৰা দেখিলে বেয়া নাপায়; বৰঞ্চ কাম চাই কাম কৰিবলৈ উদগনি হে দিয়ে। আইতাকে তাঁত বওঁতে বা ফুল বাছোঁতে লাহৰীয়ে তেওঁৰ এপাশে তাঁতৰ পাটত বহি একাণপতীয়াকৈ চাই থাকে। কেতিয়াবা মাক কিবা কামত উঠি গলেই, তেওঁ ঘূৰি আহেমানে, ছেগ বুজি, লাহৰীয়ে তাঁত বৱলৈ ধৰে। এদিন লাহৰীৰ আইতাকে অসমীয়া কেঁচা পাটৰ সূতাৰ চেলেং কাপোৰ এখনত ফুল বাছি আছিল। এনেতে, সিফালে বুলনিত বেটী ছোৱালী দুজনীয়ে দন্দ্ পাতি চুলীয়া-চুলিকৈ কোঢাল লগাই তুলিলে। মাকে তাঁতৰ পাট এৰি বেগা-বেগিকৈ বেটী ছোৱালীহঁতৰ দন্দ্ ভাঙিবলৈ ধৰিলেগৈ। বাহিৰত যি য'তে আছিল দন্দ্ চাবলৈ সিহঁতো চাপিলহি। কিন্তু, লাহৰীৰ মন সি টানিব নোৱাৰিলে; লাহৰীয়ে ঠাইতে, ছেগ বুজি, মাকে য'তে এৰি থৈ গৈছিল, ত'ৰেপৰা ফুল বাছিবলৈ ধৰিলে। মাক ঘূৰি আহেমানে আধা-বছা কাঠীটো লাহৰীয়ে শেষ কৰিবলগীয়া কৰিছে, এনেতে মাকে আহি দেখেহি, সূতা ছিঙি ভাল-ভাল কৰিলে! তেনেকুৱা কেঁচা পাটৰ সূতাৰ তাঁত বোৱা কেনে টান কাম শিপিনী-সকলে হে ভালকৈ বুজে। মাকৰ খং উঠাত, তেওঁ লাহৰীক অলপ টান কথা শুনালে। কিন্তু সেইবাবে লাহৰীয়ে তলৰ জিভা ওপৰ নকৰিলে; অলপ পৰ আমন্-জিমন্‌কৈ বহি থাকি, মাকে সূতা যোৰাই থাকোঁতেই লাহৰীয়ে লাহেকৈ উঠি তেওঁৰ জিৰণিৰ ঠাই পুখুৰী-পাৰৰ ফুলনিত সোমালগৈ। তাৰ পাচত, মাকে সেই ছিগা সূতা যোৰাই উঠি চায় দেখোন, তেওঁ এৰি থৈ যোৱাৰেপৰা লাহৰীয়ে যিখিনি ফুল বাছিলে, তাত কেনা এটাও লগা নাই। লাহৰী কেনে চোকা বুদ্ধিৰ ছোৱালী, তেতিয়া হে তেওঁ বুজি উঠিলে। পিচে, তেতিয়াই তেওঁ তাৰে তাঁত তাতে এৰি, পুখুৰীৰ পাৰৰপৰা লাহৰীক কোলাতকৈ আনি বুকুত সুমাই লৈ মৰম কৰিবলৈ ধৰিলে। তেতিয়া হে লাহৰীৰ বৰকৈ বেজাৰ লাগিল; আৰু ফেঁকুৰি ফেঁকুৰি কান্দি, লাহৰীয়ে মাকৰ মুখলৈ চাই এই বুলি কবলৈ ধৰিলে, "আইতা, আজিৰপৰা মই তাঁতৰ ওচৰলৈ নাযাওঁ দেই।" মাকেও, বেজাৰে-আনন্দে খুন্দা মাৰি ধৰাত, কি কব, কি নকব, একো ঠিক কৰিব নোৱাৰি কান্দি পেলালে। সেই সময়ত লাহৰীৰ আইতাকৰ অন্তৰত নো কি ভাব খেলাইছিল আৰু তেওঁ নো কি কথা কব খুজিছিল, সি অনুভৱত বুজিবলগীয়া কথা। পিচে, মাকে তেতিয়াই আহিনী আৰু কেতেকী বুঢ়ীক মাতি আনি লাহৰীয়ে ব'বলৈ বুলি চাৰিখনমান গামোছা লগাবলৈ দিহা দি, লাহৰীৰে সৈতে তেওঁ আকৌ তাঁতৰ পাটত বহিলগৈ!

লাহৰীৰ অকল ঘৰুৱা কামলৈকে যে ইমান ধাউতি হৈছিল এনে নহয়; লিখা-পঢ়াতো তেওঁ বৰ মন দিছিল। দেউতাকৰ ওচৰত থাকিলে, লাহৰীয়ে সৰহ ভাগ লিখা-পঢ়াৰ হে কথা পাতে। সেই ছবছৰীয়াটিতে লাহৰী অলপ-অচৰপ পুথি পঢ়িব পৰা হৈছিল। গধূলি হলে লাহৰীয়ে সদায় দেউতাকৰ লগত ঘোষা-পুথিৰ ৰাগ জোৰে। দেউতাকৰ মানত লাহৰী এপাহি অতি যতনৰ আৰু আদৰৰ ফুল; গাৱঁৰ বিষয়াসকল আৰু আন আন চুবুৰীয়া মানুহসকলৰ মানতো লাহৰী এপাহি "লাহৰী ফুল"। দেউতাকক দেখা কৰিবলৈ যেতিয়াই যেয়ে আহিল লাগে, পোনেই পদূলি-মুৰৰেপৰা লাহৰী আইদেউক চিয়ঁৰি আহে। বাস্তৱতে, লাহৰী সঁচাসঁচি ফুল নহলেও, ফুলৰ ধাইমাক আছিল! পুখুৰী-পাৰৰ ফুলনিৰ ফুলে লাহৰী বাৰীত সোমালে হে ভালকৈ ফুলি উঠে। অহঃ, লাহৰীয়ে যেতিয়া আবেলিবেলিকা অকলশৰে ফুলনিত সোমাই ইপাহি-সিপাহিকৈ ফুলৰ গোন্ধ লৈ ফুলনিৰ মাজে মাজে ফুৰে,

তেতিয়া যে ফুলনিৰ কেনে বিতোপন শোভা ধৰে! একে থৰে চাই থাকিলে এনে হে লাগে, যেন কোনোবা দেৱকন্যা হে পৃথিবীলৈ নামি আহি সেইদৰে ইপাহি-সিপাহিকৈ ফুলবিলাক চুমি চুমি ফুৰিছেহি! কেতিয়াবা গছৰ পাতৰ আৰত গা-টি আৰ হৈ থাকোঁতে লাহৰীয়ে হাঁলি গৈ যেতিয়া ফুলৰ গোন্ধ লয়, তেতিয়া নিলগৰপৰা চাই পঠিয়ালে ফুল ইপাহেই নে সিপাহেই ঠিক কৰাই টান হৈ পৰে। আমি ওপৰত কোৱা সম্বন্ধ যদি সঁচা নহয়, তেন্তে লাহৰীৰ নো ফুলৰ লগত প্ৰকৃত কি সম্বন্ধ, আমি এতিয়াও ঠিৰাংকৈ কব নোৱাৰিছোঁ এথোন। লাহৰী যেতিয়া ফুলনিলৈ সোমায়, তেতিয়া তেওঁ পুখুৰীৰ চাৰিওপাৰৰ প্ৰত্যেক জুপি ফুলৰ ওচৰলৈ গৈ, প্ৰত্যেক জুপি ফুলৰে এপাহিকৈ ফুল আৰু এটিকৈ কলি তুলি আনি, এটি ধুনীয়া জোপাৰ মাজত দূবৰিবনৰ ওপৰত বহি, তেওঁ নানা আৰ্হিৰে মালা গাঁথি, ত্ৰধাৰমান তেওঁ আপুনি পিন্ধে, বাকী কেইধাৰ সৰু সৰু গছৰ ডালত আৰি থৈ অলপ আঁতৰৰপৰা চাই থাকেগৈ। নিতৌ সন্ধিয়া নলগালৈকে লাহৰীয়ে এই দৰেই ফুলনিত সোমাই ফুলকুৱঁৰী হৈ থাকেগৈ। কিন্তু, পাঠক! লাহৰীয়ে এইদৰে জোপাৰ মাজত সোমাই মালা পিন্ধি অলপ আঁতৰি গছত আৰি থোৱা ফুললৈ একেথৰে চাই থকা দেখিলে ফুলকুৱঁৰীতকৈও আৰু কাৰোবালৈ মনত পৰে,—নিলগৰ-পৰা চাই পঠিয়ালে এনে হে বোধ হয়, যেন ৰাধিকাই হে কুঞ্জলতাৰ মাজত শ্ৰীকৃষ্ণক ধ্যান কৰি পৱিত্ৰ প্ৰেমৰ ভাবত ভোল গৈ ৰৈছে! পাঠকসকলে ইয়াতে মনৰ হাবিয়াস পলুৱাই এই মোহিনী মূৰ্ত্তিকে চাই থাওক; আমি আকৌ ন্নিবিলাকৰ মৰমৰ হেৰোৱা ধন বিচাৰি যাওঁ।

চতুৰ্থ আধ্যা

কমল ক'লৈ গল

দৰাচলতে, পৃথিবীৰ ওপৰত স্থাবৰ বুলিবলৈ একোৱেই নাই। চাৰিওফালে চকু ফুৰাই চালে, চকুৰে দেখালৈকে স্থিহকে কি নেদেখোঁ; সকলো আজি আছে, কালি নাই। দোৰ্ঘোৰ অৰণ্য আৰু হাতী সোমাব নোৱাৰা গেজেপনি হাবি সময়ত সুন্দৰ নগৰ হৈছে; আৰু তেনেকুৱা কিমান সুন্দৰ নগৰ গুচি দোৰ্ঘোৰ অৰণ্য আৰু গেজেপনি হাবি হৈ বনৰীয়া জন্তুৰ থকা ঠাই হৈছে, তাৰ সীমা-সংখ্যা নাই। মানুহৰ অৱস্থাও ঠিক তেনেকুৱাই। কথাতে কয়, বোলে, "বাহৰ এফাল, মানুহৰ একাল"। আজি যাক সম্পত্তিপন্ন আৰু ধন-সোণৰ দৌলতৰ গৰাকী দেখিছোঁ, কাইলৈ হয়তো সেইজনক বাটৰ মগনীয়া দেখিম। আজি যাক তৃষ্ণীয়া-নিচলা দেখি ঘিণ্ কৰি বাটত দেখিলেও গুচ্-গুচ্ কৰিছোঁ, কাইলৈ হয়তো সেইটো মানুহৰ ধন-সম্পত্তি দেখি দহজনে তাৰ ওচৰত হাত পাতিব লগাত পৰিব। ইয়াৰ প্ৰমাণ শান্তিৰাম গোহাঞিবৰুৱাতে পোৱা যায়। যি শান্তিৰাম গোহাঞিবৰুৱাৰ সুখ-শান্তি, ধন-সম্পত্তি আৰু গৌৰব-ক্ষমতাৰ সীমা নাছিল, সেই শান্তিৰাম গোহাঞিবৰুৱা জ্ঞাতি-বিষয়াৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি, মৰমৰ ভাৰ্য্যা আৰু প্ৰাণৰ প্ৰাণ একেটি পুতেকে লৈ ৰংপুৰ এৰি গুৱাহাটীলৈ ভটীয়াই পলাবলগীয়া হল!

শান্তিৰাম গোহাঞিবৰুৱা আৰু তেওঁৰ ভাৰ্য্যা কোন্ ক'লৈ গল, সিবিলাকৰ কি হল, এতিয়ালৈকে আমি তাৰ একো সম্ভেদ্ পোৱা নাই এথোন; সিবিলাকক সেই সম্ভেদ্ নোপোৱাতে এৰি কমল ক'লৈ গল তাৰ সম্ভেদ্ লোৱা যাওক। সেই দিনা বৰনৈৰ চোৰে নাও যেতিয়াই থিৰ কৰি পেলালে, নাৱৰ মানুহ আটাইবিলাক গিৰ্গিৰ্কৰে পানীলৈ সৰি পৰিল। কমল পৰি যাওঁতেই নৈৰ তলি পাইছিলগৈ; আৰু কেইমিনিটমানৰ পাচত ওপঙি উঠি তেওঁ পোনেই ভোগৰাম লগুৱাক হাততে পালে। ভোগৰামক পায়েই ককবককৈ কমলে তাৰ গাত ধৰিলেগৈ। সিও কমলক পাই নিজৰ জীৱনৰ বিপদলৈ কটাহি নকৰি, এহাতে কমলক দাঙ্গি ধৰি ইহাতেৰে সাঁতুৰিবলৈ ধৰিলে। কিন্তু, বৰনৈৰ সোঁতত সেই দৰে সি কিমান পৰ ঠাৱৰিব! তাতে পচোৱা বতাহত পানীয়ে থোকিবাথোকি লগাইছে। পিচে, তিনি নলমান পানী এই দৰে সাঁতুৰি যাওঁতেই এটা বৰ ঢৌয়ে দুইটাকে এজোপা উটি অহা গছৰ গাত পেলালেনি। গছৰ ওচৰ পাই কমলে থাপ্ মাৰি ডাল

এটাত ধৰি তাতে ৰল। কিন্তু, ভোগৰামে ধৰিবলৈ নৌ পাওঁতেই চৌৱে তাক জঁাজৰিৰ তলত সুমুৱালেনি। সেই মুহূৰ্ত্তৰপৰা ভোগৰাম ক'লৈ গল, তাৰ কি হল, কমলে একো কব নোৱাৰে। গছজোপা শুকান আছিল; গতিকে পানীৰ ওপৰেদি ভালেখিনিমান ওলাই গৈছিল। কমলে লাহেকৈ আন এটা ডালত ভৰি দি, গছতে ওলমি কিছুমান দূৰ গৈ পেৰেঙ্গনি লগা ডাঙৰ ডাল এটাত ভালকৈ বহি ললেগৈ। তাৰ পাচত, গছ উটি গৈ আছে, কমলো সাগৰৰ ৰৰফেনৰ ওপৰত টিপচী এটিৰ দৰে গছৰ ডালত বহি উটি গৈয়ে আছে! চাওঁতে চাওঁতে অমাবস্যাৰ আন্ধাৰ ৰাতিয়ে গৰাহ মাৰি ধৰি কমলক আমাৰ চকুৰে নেদেখা কৰিলে। ইফালে বৰনৈৰ পানীৰ ধুমধুমনিত ৰক্ষা নাই! কমলে অকলে অকলে গছৰ ডালত বহি আন্ধাৰ নিশাৰ বুকুত সোমাই বৰনৈৰ মাজে মাজে ক'লৈ গৈছেগৈ! হায়, কমলে যে মাকৰ বুকুৰপৰা ক'লৈকো ওলাব নোখোজে; সন্ধ্যা লাগিলেই কমলৰ মাকে দুৱাৰডলিৰ বাজ হব নিদিয়ে। আজি নো কমলৰ মনত কি বিৰাগ ভাব আহিল! আজি নো কমলৰ আইতাকে এনে আন্ধাৰ নিশা কমলক কেনেকৈ এৰি দিছে! এনে ঘোপ্‌মৰা আন্ধাৰত কমলে নৈৰ পাৰ দেখক ছাৰি, নিজৰ গাকে দেখা নাই। সময়ৰ এনে ভয়ঙ্কৰ মূৰ্ত্তি দেখি কমলৰ নো ভয় লগা নাই নে? কমলে দেখোন আজি ইমানতো কেৰেপকে কৰা নাই। আজি দেখোন কমল আগতকৈয়ো শান্ত আৰু গহীন। গছৰ পেৰেঙ্গনিত বহি বৰনৈৰ শীতল বতাহ লৈ কমল ভোল গৈছে নে কি? —নহয়, আজি কমলৰ মানত সংসাৰ একেবাৰে অসাৰ! কমল আমাৰ চকুত সৰু আৰু আলসুৱা যদিও কমলৰ জ্ঞানটি বুঢ়া। আজি আৰু কমলৰ ভয় নাই; আজিৰ-পৰা আৰু কমলে সাংসাৰিক ভয় বা বেজাৰ পাই নাকান্দে। হায়, কান্দিব কাৰ ওচৰত! কমলে এই কুমলীয়া বয়সতে সংসাৰৰ অনেক দেখিলে, অনেক শুনিলে। বিশেষ আজিৰ বিপদে কমলক বিপদৰ বাকীখিনিৰো শিকনি দিছে। এই মুহূৰ্ত্ততে যদি আকৌ গছে সৈতে কমল ডুবি যায়, তেও কমলৰ একো আপত্তি নাই, বেজাৰ নাই; বৰঞ্চ, মহাসুখে এই দুখময় সংসাৰৰপৰা তেওঁ একেবাৰে ইহজনমৰ নিমিত্তে বিদায় লব। কিন্তু, এটি কথা; কমলে ভাবিছে, জানোবা তেওঁৰ দেউতাক আৰু আইতাক তেওঁৰ দৰেই জীয়াই আছে! সেই একেটা ভাবে, সেই একেটা আশাই কমলক তেনে ইচ্ছাৰপৰা আঁতৰাই আনিছে। কমলৰ আৰু সেই সময়ত আন একো চিন্তা নাছিল; দেউতাক আৰু আইতাকৰ জীৱনৰ সম্বন্ধে অলপ সন্দেহ পোৱা হলেই কমল নিশ্চিন্ত হলহেঁতেন। কিন্তু, এতিয়া আৰু কমলৰ অন্তৰত একো কথা নাই; বৰনৈৰ ইচ্ছা, যলৈকে নিবৰ মন যায়, যিহকে ঘটাব খোজে, তালৈকে নিয়ক, তাকে ঘটাওক, কমলৰ তাত একো আপত্তি নাই। কিন্তু, আমি কওঁ, আমি ব্ৰহ্মপুত্ৰ নদৰ ওচৰত প্ৰাৰ্থনা কৰোঁ, কমলক যেন ৰাতিপুৱালৈকে বাকী সময়ৰ নিমিত্তে তেওঁৰ বুকুতে ৰাখে। এনে ভয়ঙ্কৰ ৰাতি কমলক যেন কোনো হাবি-বননিত বনৰীয়া জন্তুৰ মাজত পেলাই নিদিয়ে নি। দুৰ্ভগীয়া কমলৰ প্ৰাণত আপদ ইমানেই জুৰিছে; আৰু সহ নহয়। কমলে এই দৰে মাজে মাজে উটি ভালেমান ভটীয়ালে। ৰাতিও শেহ নিশা পালেগৈ; আৰু এপৰ ৰাতি মাথোন বাকী আছে। এনেতে, উত্তৰ পাৰে সোমাই যোৱা পাক এটা ঘূৰোঁতেই, পানীৰ বৰ কোবাল ধাৰ এটাত পৰি গছজোপা চাঁত্‌কৰে দাঁতিত লাগিলগৈ। কি বিপদ! এইখন যে দোৰ্ঘোৰ অৰণ্য। ইয়াত বাঘ, ভালুক, গঁড়, ম'হ, হাতী আদি বনৰীয়া জন্তু থাকে। এতিয়া কমলৰ কি গতি হব! গছজোপা থমকা খাই ৰোৱাৰ গম্ পায়ে কমলে জানিলে যে, গছ আহি পাৰত লাগিলহি। সৰ্ব্বনাশ! কমল যে এতিয়া পাৰলৈ উঠি আহে! এতিয়া কি উপায়? কিন্তু, আমি হে ভয় কৰিছোঁ, কমলৰতো সেইবোৰ একো খবৰেই নাই; কমলৰ মানত নৈৰ মাজ যেনে, পাৰো তেনে। পাৰলৈ উঠি কমলে ইফালে সিফালে যাবলৈ বিচাৰি দেখে, দেখোন এখন অটব্য হাবি; কেনিও যাবৰ সন্ধি নাই। তাতে ৰাতিৰ কথা, ভয়ঙ্কৰ হাবি আৰু ভয়ঙ্কৰ হৈ পৰিছে! অলপমান পৰ ইফাল-সিফাল কৰোঁতেই কমলে 'হাঁওহাঁও' কৰা বাঘৰ গোঁজৰণি শুনিলে। ভালুক, গঁড়, ম'হ, হাতী ইত্যাদিৰ দুমদুমনিত হাবি তোলপাৰ হৈছে, মাটি কঁপি উঠিছে! কমলক এতিয়া হে ভয়-শূলে

চাৰিওফালৰপৰা বিন্ধিবলৈ ধৰিলেহি। কোন্ মুহূৰ্ত্তত কিহে ধৰেহি ঠিক নাই। একো-একোবাৰ ধৰিলেহি ধৰিলেহি যেন ভাবি কোমল কমল সেই ফালেই মাটিত পৰি চেপেটা হৈছে। একো-একোবাৰ পগলাৰ দৰে ইফালে-সিফালে লৰি ফুৰি চাটিফুটি কৰিছে! হাঁয়, যিমানেই হওক, কমল নিচেই কুমলীয়া ল'ৰা; কোনো দিন ঘৰৰপৰা বাহিৰ নোহোৱা ল'ৰা। আৰু, এনে বিপদত কোমল কমলে হে নালাগে, কোনে নো ধৈৰ্য্য ধৰি থাকিব পাৰে! কমলে লাহেকৈ আকৌ যি গছে আনি এনে বিপদৰ মুখত পেলালেহি, সেই গছতে উঠি আগৰ দৰে একে ঠাইতে বহি ললেগৈ। এতিয়া কমলৰ ইচ্ছা কি?—কমলৰ ইচ্ছা, যেন আকৌ আগৰ দৰে বৰ-নৈৰ বুকুত সোমাই উপস্থিত বিপদৰ হাত সাৰে। ইচ্ছাময়ৰো ইচ্ছা হল, সঁচাকৈয়ে গছ আকৌ উটি যাবলৈ ধৰিলে। এই বাৰ কিন্তু দাঁতিয়ে দাঁতিয়ে হে। এই দৰে উটি যাওঁতে যাওঁতে অলপ পোহৰ পোহৰ যেন দেখা গল। অলপ পাচতে ভালকৈয়ে ৰাতি পুৱালত, কমলে চাৰিওফালে চাই দেখিলে, দেখোন এজন মানুহে এখন সৰু নাৱৰ টিঙত বহি দক্ষিণ পাৰৰপৰা তেওঁৰ গাৰ ফাললৈ নাও এৰি দিছে। নাও আহি ওচৰ পাওঁ-পাওঁ হওঁতেই, কমলে উদ্ধাৰৰ ছেগ বুজি চিয়ঁৰি চিয়ঁৰি নাৱৰ সেই মানুহটিক নিজৰ বিপদৰ কথা জনালে। মানুহটিয়েও অনতিপলমে নাও চপাই আনি, কমলক নাৱলৈ তুলি ললেহি।

পঞ্চম আধ্যা

অময়া প্ৰেমৰ আভাস

কমলক উদ্ধাৰ কৰি যিটি মানুহৰ কথা কৈ অহা হৈছে, সেই মানুহটি আদহীয়া। মানুহটিৰ কথা-বাৰ্ত্তা, ভাব-গতি, আচৰণ আদিলৈ চাই, তেওঁ কোনোবা ভাল মানুহৰ সংসৰ্গত থকা মানুহ যেন অনুমান হয়। কিন্তু, তেওঁৰ সাজ-পাৰ আদিলৈ চালে, তেওঁক কোনোবা গাঁৱৰ ভাল মানুহৰ ওচৰত থকা সাধাৰণ মানুহ যেন হে লাগে। যেই হওক, আজি কমলৰ মানত তেওঁ এজন মহৎ উপকাৰী লোক। আজি কমলৰ মানত তেওঁ এই সংসাৰত পিতৃতুল্য পূজনীয় লোক। ইমান দিনে কমলে নিজৰ দেউতাকৰ সমান জগতৰ ভিতৰত ডাঙৰ আৰু পূজনীয় মানুহ নাই বুলি ভাবি আহিছিল; আজি তেওঁ তেওঁৰ দেউতাকৰ সমনীয়া এজন লোক দেখা পালে। বামলৈ মুঠালৈকে মানুহটিয়ে কমলক একোকে সোধা নাছিল; পাৰত উঠি কাপোৰ-কানি চেপি আকৌ পিন্ধাই দি, বননিতে দুয়ো বহি, হৈ যোৱা ঘটনা সম্বন্ধে কথা-বাৰ্ত্তা পাতিবলৈ ধৰিলে। কমলে নিজৰ ঘৰৰ কথাৰেপৰা সেই বৰ্ত্তমান অৱস্থালৈকে, যিমানলৈকে পাৰিলে বৰ্ণাই কৈ ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ ধৰিলে। সোঁৱৰণীৰ চোকা শোক-শেলে আহি কমলৰ কোমল হিয়া থকা-সৰকা কৰিবলৈ ধৰিলে! মানুহটিয়ে কমলৰ মৰ্ম্মান্তিক বেদনা বুজিব পাৰি, কমলক কোলাত তুলি ললে। তেওঁ সমবেদনাত কাতৰ হৈ চুমা খাওঁতে কমলৰ সৰিয়হৰ ফুল যেন গাল দুখনি তেওঁৰ চকুলোৱে ধোৱাই পেলালে! হাঁয়, সেই সময়ত সেই দুটি প্ৰাণীৰ নিমাত ভাৱৰ বিননি দেখিলে বনৰ চৰাই-চিৰিকতিৰো মুখৰ টোপ্ সৰি পৰে! অহঃ, এনে সামান্য পুৰুষৰ বেশ ধৰি ইজন নো কোন্ দয়াশীল মহাপুৰুষ? তেওঁ যদি কোনোবা ছদ্মবেশী মহাত্মা নহয়, তেন্তে সামান্য মানুহৰ অন্তৰতো এনে দয়া, এনে চেনেহ! সামান্য মানুহৰ হিয়াও ইমান কোমল, ইমান সহজে পমে! তেন্তে যি দুৰাচাৰে মানুহক উপদ্ৰৱ কৰিবলৈকে বৰমানুহ হয়, সম্পত্তিশালী হয়, যি পাষণ্ডই মৰাক মাৰি তৰিবলৈকে বিষয়া হৈ ক্ষমতা লাভ কৰে, তাৰ জীৱন ধিক্! তাৰ জীৱনলীলা পাশৰ ক্ৰীড়াৰ গাপত জাহ যাওক। এই পুৰুষজন সঁচাকৈয়ে আগৰ এজন ডাঙৰ মানুহ। তেওঁ আগেয়ে চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱৰ দেউতাকৰ দিনত এজন বৰ ডাঙৰ বিষয়া হৈ থাকোঁতে প্ৰজাক অনেক সুখ-শান্তিৰ উপায় কৰি দিছিল। সদোশেহত, প্ৰজাৰ উপকাৰ কৰা বাবেই তেওঁ ৰজাৰ অপ্ৰিয় হৈ উঠে; আৰু অন্তত নিজৰ গাৰ ফালে টনাটনি দেখি, ল'ৰা-তিৰোতা আদিৰে সৈতে উত্তৰ পাৰলৈ ভাগি আহি, তেজপুৰৰ ওচৰৰ এখন গাঁৱত

বাস কৰে! তেওঁ সেই দিনধৰি ছদ্মবেশী। তেওঁৰ ল'ৰা-ছোৱালী যি দুটি আছিল, সিও সেই গাৰঁতে অস্ত পৰিল! সেই কাৰণে, তাৰপৰাও ভাগি এতিয়া আমাৰ ন-ভগনীয়া বিষয়াসকলে পতা পামপুৰতে আছেহি। পামপুৰলৈ আহিও, তেওঁ বিষয়াসকলক নিজৰ আচল পৰিচয় নিদিলে। কিন্তু, বিষয়াসকলে তেওঁক আন ইতৰ মানুহৰ দৰে ব্যৱহাৰ নকৰিছিল। ঘৰত তেওঁৰ গৃহিণীৰ বাহিৰে আৰু কেও নাই। তেওঁৰ নাম কৃষ্ণৰাম বৰগোহাঞি। কোনো বিশেষ কাৰণত তেওঁ দিনচাৰেক গুৱাহাটীত আছিলগৈ; আজি ঘৰলৈ উলটি পাৰ হওঁতে কমলকু উদ্ধাৰ কৰিবলৈ পালে। তাৰ পাচত, অনেক কথা-বাৰ্ত্তা সুধি, কমলক লগত লৈ, তেওঁ ঘৰৰ ফালে খোজ ললে; এখনমান তামোল খাবৰ পৰত দুয়ো ঘৰ পালেহি।

কৃষ্ণৰাম গোহাঞিৰ ঘৰত তোলনীয়া পুত্ৰ হৈ বুছৰদিন কমলে কটালে। এতিয়া কমলৰ বয়স ন-বছৰত সোমালেহি। ইমান দিনে কমলে দেউতাক আৰু আইতাকলৈ পাহৰিলে নে?—অহঃ, যি কমলে মৰমৰ দেউতাক আৰু আইতাকৰ আশাতে প্ৰাণ ধৰি বৰনৈৰ মাজত গা এৰি দিছিল, সেই কমলে বছৰদিয়েক হে নালাগে, জীয়াই থাকেমানে সিবিলাকক পাহৰিব পাৰে নে? কৃষ্ণৰাম বৰগোহাঞি আৰু তেওঁৰ গৃহিণীৰ যত্ন আৰু মৰমে মাজে মাজে পাহৰাই ৰাখে যদিও, তেওঁবিলাকৰ ওচৰৰপৰা আঁতৰ হলেই, কমলক সোঁৱৰণীৰ শোকে হেঁচি ধৰেহি, তেওঁ সংসাৰ একেবাৰে আন্ধাৰ দেখে! বয়সৰ লগে লগে কমলৰ বেজাৰ দিনক-দিনে বাঢ়িবলৈ ধৰিলে। পামপুৰলৈ অহা দিনচাৰেকৰ পাচতে, কৃষ্ণৰাম বৰগোহাঞিয়ে কমলক পঢ়াশালিত নাম লগাই দিলে। তেতিয়াৰেপৰা কমলে এদিনো পঢ়াশালিলৈ যোৱা খতি কৰা নাই। পঢ়াশালিলৈ যাওঁতে কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰৰ আগেদি যাব লাগে। গতিকে, স্কুললৈ যোৱা-অহা কৰোঁতে কমলে লাহৰীক সদায় দেখে। কিন্তু, দেখে আৰু চায়, ইমানেই হে; তাত বাজে কমলৰ অন্তৰত আন একো ভাব নাই। পঢ়াশালিত থকা সময়ত বাজে, কমলক তেওঁৰ দেউতাক আৰু আইতাকৰ চিন্তাই বিমোৰ কৰি থয়; আন কথাই তেওঁৰ মনত অলপো ঠাই নাপায়।

লাহৰীয়েও কমলক সদায় দেখে। কিন্তু, পঢ়া-ল'ৰা পঢ়িবলৈ যায়, ইমানকে মাথোন কমলৰ বিষয়ে লাহৰীৰ মনত ঠাই পায়। লাহৰীৰ কমলৰে সৈতে অলাপ-পৰিচয়ো নাই। কাৰণ, কমলে আন ল'ৰাৰ দৰে লাহৰীহঁতৰ পুখুৰীপাৰত ফুৰিবলৈকো নাহে। তথাপি, কেতিয়াবা কমল পঢ়াশালিলৈ যাওঁতে, বা তাৰপৰা আহোঁতে পদূলিমূৰত বা ভঁৰালৰ আগত দুইৰো দেখাদেখি হলে, মাত-বোল নহয় যদিও, দুইকো দুয়ো একেথৰে অলপ পৰলৈ চাই নাথাকি নোৱাৰে। এই দৰেই ভালেমান দিন পাৰ হল, তথাপি কমল আৰু লাহৰীৰ মাজত মাত-বোল নাই। কিন্তু, পাচলৈ স্বভাৱতে দুইকো দুয়ো অলপ হেঁপাহৰ চকুৰে চোৱাচুই কৰা হল; চকুৰে-চকুৰে চাই থাকোঁতে দুয়ো কেতিয়াবা চঁক্ খাই উঠা যেন হল। এতিয়া লাহৰীৰ বয়স ৯ বছৰ আৰু কমলৰ বয়স ১৪ বছৰ। এনে কোমল বয়সত এই দুটি প্ৰাণীৰ অন্তৰত কিবা প্ৰণয় বা প্ৰেমৰ ভাব উপজিছিল নে? উপজিছিল যদি, সি নো কি প্ৰণয়? কেনে প্ৰেম? লাহৰীৰ সাদৰী-প্ৰেম নে, কমলৰ কোমল-প্ৰেম? প্ৰকৃত-পক্ষে ই প্ৰেম হলেও, প্ৰণয় নহয়;—অময়া প্ৰেমৰ আভাস মাথোন। এই আভাসত স্বাৰ্থৰ ছুঁ'টিও নাই, আছে মাথোন এটি স্বভাৱৰ মিলন-টান। লাহৰীক নো লাগিছে কি? তেওঁৰ কি নাই, তাতে তেওঁ কমলৰপৰা কিবা আশা কৰিব? আৰু, কমলেও আইতাক-দেউতাকক হেৰুৱালে বুলিও, কৃষ্ণৰাম গোহাঞি জীয়াই থাকোঁতে তেওঁৰ কিহৰ নাটনি পৰিছে যে, লাহৰীৰপৰা কিবা পাবলৈ তেওঁ আশা কৰিব! কিন্তু, তাৰ ভিতৰতো একেৰি স্বাৰ্থ আছে। সেই স্বাৰ্থ নো কি?—সেই স্বাৰ্থ ইটিয়ে সিটিক হেঁপাহেৰে চাবলৈ আশা কৰা নিস্পৃহ আসক্তি! সেই স্বাভাৱিক ভাব এতিয়া ইচ্ছাত পৰিণত হবলৈ ধৰিছে। সেই ইচ্ছাৰ সোঁতত গা এৰি দি, ইটিয়ে সিটিক চাই থাকিবলৈ ভাল পায় কাৰণে, দুয়ো সদায় চায় আৰু যায়। ইচ্ছাটি দিনে দিনে বলৱতী হৈ আহিল। পাচলৈ কমল পঢ়াশালিলৈ আহিবৰ সময় হলেই লাহৰীয়ে পদূলিত বা ভঁৰালৰ আগত থিয় দি বাটলৈ চাই থাকেগৈ। কমলেও আগৰ শোক-বেজাৰ পাহৰি

বাটত লাহৰীক দেখিবলৈ পোৱাৰ আশাতে পঢ়াশালিলৈ উলাহিত হৈ আহে; আৰু পঢ়াশালিৰপৰা যাওঁতেও উৰুলীকৃত হৈ সেই ঠাই পায়গৈ। কিন্তু, এতিয়াও লাহৰী-কমলৰ ভিতৰত মাত-বোল হোৱা নাই। মাতিবলৈ আন্তৰিক ইচ্ছা দুইৰো প্ৰবল; দুইৰো প্ৰাণত ভাবৰ উগুল-থুগুল, কিন্তু মুখত কথা ফুটি নোলায়!

এইদৰে অলপ দিন যোৱাৰ পাচত, এদিন কীৰ্ত্তিনাথ গোহাঞিদেৱে আজৰি পাই পঢ়াশালি চাবৰ মন কৰিলে। পিচে, সাজ-পাৰ পিন্ধি ওলাই আহোঁতেই বাটতে পাই লাহৰীয়েও লগ ধৰিলে। বাপেক-জীয়েক দুয়ো হাতত ধৰাধৰিকৈ পঢ়াশালি সোমালগৈ। পঢ়াশালিত সোমোৱা মাত্ৰকে প্ৰথমেই লাহৰী আৰু কমলে দুয়ো এবাৰ চকু-চোৱা-চুই কৰি ততালিকে আকৌ দুয়ো দুফালে চকু ঘূৰালে। এই কথা লাহৰী আৰু কমলৰ ভিতৰত হৈ যি জনাজনি হ'ল, আন কেৱে তাৰ তৎ ধৰিব নোৱাৰিলে। তাৰ পাচত, লাহৰীৰ দেউতাকে এটা-এটাকৈ ল'ৰাবিলাকৰ পঢ়া লবলৈ ধৰিলে। সেইদৰে ছটা কি সাতোটামান ল'ৰাৰ পঢ়া লৈ এঁতাই কমললৈ তেওঁৰ চকু পৰিল। কমললৈ চাই তেওঁ অলপমান পৰ থমক্ খাই ৰৈ আছিল। তাৰ পাচত, কমলক কিতাপে সৈতে ওচৰলৈ চাপি আহিবলৈ কোৱাত, কমলে ততালিকে তেওঁৰ আগত থিয় দিলেহি। দেউতাকৰ বাওঁহাতেই লাহৰীও থিয় দি আছিল। লাহৰীৰ সমুখত কমলৰ পৰীক্ষা হ'ল! পঢ়িবলৈ কোৱা মাত্ৰকে কমলে এনে থল্থলাই পঢ়িবলৈ ধৰিলে যে, কীৰ্ত্তিনাথ গোহাঞিয়ে শুনি বৰ সন্তোষ পালে; আৰু পণ্ডিত, ছাত্ৰৰ সকলোৰে আগত তেওঁ কমলক নথৈ শলাগিবলৈ ধৰিলে। তাৰ পাচত, কমলৰ নাম সোধাত, তেওঁৰ হৈ পণ্ডিতে কৈ দিলে। তাৰ পাচে, কমলৰ ঘৰ-বাৰীৰ কথা সোধাত, হঠাৎ কমলৰ শলাগণিত ফুলি উঠা মুখখনি ম্লান পৰি গ'ল। তথাপি, সেই কথা ভুলাই সোধাত, কমলে কৃষ্ণৰাম গোহাঞিৰ ঘৰৰ কথাকে কৈ থলে। কীৰ্ত্তিনাথ গোহাঞিয়ে কমলৰ গঢ়-গতি, কথা-বাৰ্ত্তা সকলো শুৱিৰেপৰা মন কৰি আছিল। তেওঁ কমলৰ সম্বন্ধে পাচেকৈ কৃষ্ণৰাম গোহাঞিক মাতি আনি সুধিবলৈ মনে মনে স্থিৰ কৰি, ঘৰলৈ আহিবলৈ উঠিল; আৰু আহিবৰ সময়ত কমলক ঘৰলৈ উলটি যাওঁতে, তেওঁৰ ঘৰত সোমাই যাবলৈ কৈ আহিল।

লাহৰীয়ে পঢ়াশালিত কমলৰ বিষয়ে হোৱা কথা-বাৰ্ত্তালৈ মন কৰি আছিল। ঘৰলৈ আহি আৰু সেই দিনা তেওঁ দেউতাকৰ লগ নেৰিলে। কীৰ্ত্তিনাথ গোহাঞিয়ে চ'ৰা-ঘৰতে লাহৰীক কোলাত লৈ বহি আছে, এনেতে কমল ওলালহি। দেউতাকতকৈ আগেয়েই কমল লাহৰীৰ চকুত পৰিল, দেখিয়েই লাহৰীয়ে লাহেকৈ কোলাৰপৰা নামি দেউতাকৰ বাওঁফালে থিয় দি ৰল। কমলক সুধিবলগীয়া কথা বিশেষ একো নাছিল, কিন্তু কীৰ্ত্তিনাথ গোহাঞিয়ে যেই-সেই ল'ৰা-ছোৱালীৰ স্বভাৱ-চৰিত্ৰ ভাল দেখিলেই তেওঁৰ ঘৰলৈ মাতি আনি সেইদৰে মৰম কৰে। কমল আহি থিয় হলত, তেওঁক দুই-চাইটা মৰম-লগা কথা সুধি, কীৰ্ত্তিনাথ গোহাঞিয়ে লাহৰীক কলে, "আই, কমলক আইতাৰৰ ওচৰলৈ লৈ যোৱাঁ, জলপান খাবলৈ দিয়াঁগৈ।" লাহৰীলৈ ইয়াতকৈ আৰু আনন্দৰ বিষয় কি হব পাৰে! লাহৰীয়ে দেউতাকৰ অনুমতি পোৱা মাত্ৰকে আগ বাঢ়ি গৈ কমলৰ হাতত ধৰি, 'আহাঁ কমল' বুলি ভিতৰলৈ মাতি লৈ গল। কমলে আজিলৈকে আনৰ ঘৰত কেতিয়াও একো খোৱা নাছিল। এতিয়াও নাখাওঁ বুলিবৰ, বা আন কিবা কাৰণ দেখুৱাবৰ ইচ্ছা আছিল; কিন্তু লাহৰী-লতাৰ কৰবান্ধনত তেওঁ বন্দী হল। লাহৰীয়ে হাতত ধৰা মাত্ৰকে কমল আপোন-পাহৰা হৈ পমি যোৱা যেন হল। নাখাওঁ বুলিবলৈ তেওঁৰ সত নোযোৱা হল। তাৰ পাচত, ভিতৰলৈ নি আইতাকৰ ওচৰত জলপান খুৱাই, লাহৰীয়ে আকৌ কমলক হাতত ধৰি পুখুৰীৰ-পাৰত ফুৰিবলৈ লৈ গল। কমলে আগেয়ে. আগৰ ঘৰত থাকোঁতেও, এনে ধুনীয়া ফুলনিপৰীয়া পুখুৰী দেখা নাছিল। আজি কীৰ্ত্তিনাথ গোহাঞিৰ পুখুৰীপাৰৰ ফুলনিত সোমাই কমলৰ মনত আনন্দে নধৰা হল। কিন্তু, অকল সেই ফুলনি দেখিয়েই কমলে মনে মনে এনে সুখ অনুভৱ কৰিছিল নে?—নহয়, আজি কমলে তেওঁৰ চেনেহৰ বস্তু, সেই ফুলনিৰ ফুলকুঁৱৰী লাহৰীৰ হাতত ধৰি ফুলনিৰ মাজে মাজে ফুৰিবলৈ পাই হে সেই সুখত আপোন-পাহৰা হৈছে! তেওঁৰ মানত এই

দুখৰ পৃথিৱীকে সুখৰ স্বৰ্গ যেন লাগিছে। এইভাৱে হাতত ধৰাধৰিকৈ ল'ৰালি কথা-বাৰ্ত্তাৰে সৈতে দুয়ো পুখুৰীৰ চাৰিও পাৰে ফুৰিবলৈ ধৰিলে। এনে জকমকীয়া ফুলনিত এই দুটি প্ৰাণীক এনেকৈ হাতত ধৰাধৰিকৈ ফুৰি থাকোঁতে দেখিলে, বাটৰ বাটৰুৱায়ো বাট বুলিবলৈ পাহৰি যায়! যেয়ে এবাৰ চায়, তেওঁ আৰু সতকাই চকু ঘূৰাব নোৱাৰে। এইদৰে ফুৰি থাকোঁতেই সদায় ফুৰিবলৈ অহা গাৱঁৰ আন ল'ৰা-ছোৱালীবিলাকো আহি পুখুৰীপাৰৰ ফুলনি ভৰি পৰিল। তাৰ পাচত, লাহৰীয়ে কমলৰ হাতত ধৰি পুখুৰীৰ চাৰিও পাৰে আকৌ এবাৰ ফুৰি, প্ৰত্যেক জুপিৰে এপাহি-দুপাহিকৈ ফুল তুলি লৈ, দুয়ো পাণৰ মাহী আদিৰে বেৰি থোৱা সুন্দৰ জোপা এটিৰ মাজত বহি মালা গাঁথিবলৈ ধৰিলে। তললৈ মূৰ কৰি দুই হাতে মালা গাঁথি থাকোঁতে লাহৰীয়ে এবাৰ দেখিলে যে, কমলে নিটাল মাৰি একেথৰে মালা গঁথাকে চাই আছে। তেতিয়াই লাহৰীৰ মনত কি যে এটা ভাব আহিল, তেওঁ হাতৰপৰা আধা-গঁথা মালা মাটিত থৈ কমলৰ হাতখনি দুই হাতৰ মাজত লৈ মোহাৰি মোহাৰি কবলৈ ধৰিলে, "কমল! তুমি কি ভাবিছা? চোৱাঁচোন, সৌবিলাক ল'ৰা-ছোৱালী ইয়াত ফুৰিবলৈ সদায় আহে; তুমি হে নাহাঁ!" কমলে কি উত্তৰ দিব!—কমল যে কমলত নাই! লাহৰীৰ কোমল হাতৰ মাজত হাত ৰাখিবলৈ পাই কমলৰ কোমল প্ৰাণ যে পমি গৈছে! পিচে, কি কব, কি নকব, একো স্থিৰ কৰিব নোৱাৰি কাঠৰ পুতলাটিৰ দৰে একে থৰে তেওঁ লাহৰীৰ মুখলৈ চায়ে ৰল! তাৰ পাচত, সংজ্ঞা পোৱা দি পাই কমলে চক্ খাই উঠি কবলৈ ধৰিলে, "লাহৰী, মই নো কি ভাবিছো, কি ক'ম? এই সময়ত কি ভাবিছিলোঁ কব নোৱাৰোঁ যদিও, আন সময়ত কি ভাবি থাকোঁ, সেই কথা কবলৈ বহুত পৰ লাগিব। আজিলৈ আৰু সেইবোৰ একো নকওঁ। লাহৰী, মই এনেই হে নহাকৈ আছিলোঁ; আজিৰপৰা বাৰু সদায় আহিম দেই।"

লাহৰী।—সদায় আহিবা নে কমল! সদায় আহিবাঁ দেই। তুমি পঢ়াশালিৰপৰা আহিবৰ সময় হলে, মই সদায় জলপান সজাই থম দেই।

কমল।—লাহৰী! মোলৈ সদায় ইয়াত জলপান সজাই থৈ তুমি দুখ পাব নালাগে; মই পঢ়াশালিৰপৰা বাজে বাজে ঘৰলৈ গৈ জলপান খাই বেগতে ইয়ালৈ আহিমগৈ দেই। মোলৈ আইতাই ঘৰত জলপান সজাই থয়; ঘৰত নাখালে আকৌ আইতাই বেজাৰ কৰিবনহয়। বেয়া নাপাবাঁ দেই!

লাহৰী।—(মুখখনি অলপ আমোলাই) বেয়া নাপাওঁ বাৰু। তুমি সদায় আহিবা নে? সদায় আহিবাঁ দেই, কমল!

কমল।—অ, লাহৰী, তুমি বেয়া পাইছা? মই সদায় নাখাওঁ হে বুলিছোঁ; মাজে মাজে ইয়াতো খামহি। আৰু, মই সদায় আহিম। লাহৰী! মই পঢ়াশালিৰপৰা আহোঁতে তোমাক সদায় দেখোঁ; মনতে মাতিম মাতিম যেন লাগে। আৰু, দুদিনমান মাতিবলৈ চিপিয়াইছিলোঁ, মাতিব হে নোৱাৰিলোঁ!

লাহৰী।—(হাঁহি হাঁহি) এৰা, মোৰো সদায় মাতিম মাতিম যেন লাগে, পিচে মাতিব হে নোৱাৰোঁ! অ, আজি পিচে মতামতি হল নহয়!—এই বুলি দুয়ো ঢেকঢেকাই হাঁহিবলৈ ধৰিলে। তাৰ পাচত, গধূলি হোৱা যেন দেখি, লাহৰীয়ে আকৌ মালা গাঁথিবলৈ ধৰিলে। তেওঁ দুধাৰ মালা গাঁথি এধাৰ আপুনি পিন্ধিলে, ইধাৰ কমলৰ কণ্ঠত পিন্ধাই দিলে। অহঃ, কি যে মনমোহা দৃশ্য!—আ কমলক লাহৰীয়ে মালা পিন্ধাই বৰিলে নে কি!—নহয়, আজি লাহৰীয়ে কমলৰ প্ৰাণত অময়া প্ৰেমৰ আবেগেৰে উলাহ হে লগালে! আজিৰপৰা কমল লাহৰীৰ মায়াত মেৰ খালে! আজিৰপৰা কমলে লাহৰীক পাই সকলো পাহৰিব পৰা হল! তাৰ পাচত, দুয়ো হাতত ধৰাধৰিকৈ থিয় দিলে। অহঃ, কিনো মোহন যুগলমূৰ্ত্তি! গোপ-গোপিনীবিলাকে ইফালৰপৰা সিফাললৈ বিহাৰ কৰি ফুৰিছে; ৰাধা-কুঞ্জৰ মাজত ৰাধা-কৃষ্ণ!!

ষষ্ঠ আধ্যা

ধনবৰ বৰগোহাঞি

পাঠকৰ মনত থাকিব পায়, শূলধৰ বৰগোহাঞিৰ পুতেক ধনবৰ বৰগোহাঞিৰ কথা আমি আগতে অলপ উখুকিয়াই আহিছোঁ; এতিয়া আমি তেওঁৰ ৰূপ, গুণ আৰু

স্বভাৱ-চৰিত্ৰৰ কথা অলপ কওঁ। ধনবৰৰ বয়স এতিয়া চৈধ্য বছৰত সোমাইছেহি। ল'ৰাটি মিঠাবৰণীয়া,—দেখিবলৈ বৰ বিষম নহয়। শকত-আৱতলৈ চাই, থোলোকা পাৰটোৰ দৰে; পোন্ধৰ-ষোল বছৰীয়া ল'ৰা যেন দেখি। ধনবৰৰ মুখখনি চকলামুৰা, নাকটি থঁৰা আৰু দুই চকুৰ মাজত চেপেটা; সেইখিনিত নাকৰ চিন্ নাই বুলিলেই হয়। চকু দুটি শ'ল মাছৰ চকুৰ দৰে সৰু সৰু আৰু ৰঙা। লেকুৰা ওঁঠখন্ দু-আঙুলমান বহল, সদায় তামোলৰ ৰাঙেৰে ৰাঙলী। আগদাঁত কেইটি উচলা আৰু তলৰ দাঁতপাৰি বেৰীয়া-গজা; মুখ জপালে ওঁঠ দুখনে দাঁত ঢাকিব নোৱাৰে, আগদাঁত ওলাই থাকে। বৰকৈ চেপি ধৰিলে ঢাক খায়; কিন্তু মুখখনি হে মলুৰাটিৰ দৰে হৈ পৰে! সেই কাৰণেই, তেওঁৰ মুখৰপৰা সদায় মিচিকিয়া হাঁহি নুগুচে। কাণ দুখনি মেকুৰীৰ কাণৰ দৰে নিচেই সৰু সৰু, নিলগৰপৰা চালে, আছে নে নাই তত্ ধৰিবলৈকে টান। চুলিখিনি ঠিক গাহৰিৰ গল্‌ধনৰ ওপৰৰ থিয় নোমখিনি চালে চাবই নালাগে। ডিঙিটি কাছৰ দৰে, কোঁচ্‌মোচ্ খাই বহি থাকিলে কানতে-মূৰ-লগা যেন দেখি, ফেঁটী সাপৰ দৰে ওপৰলৈ মূৰ তুলি ধৰিলে তেও অলপ ডিঙি যেন দেখি। পেটটি কড়িৰ গুৰি পায়গৈ আৰু তিৰোতাই বুকত মেখেলা পিন্ধাৰ দৰে হয়, তললৈ নমাই পিন্ধিলে আকৌ নাইৰ তলত থাকেগৈ। গাৰ ফালে চাবই নালাগে, বাদু ওলমি পৰিছে! কাপোৰ-কানি পিন্ধাৰ বিষয়েও সৰহ কব লগা নাই, তেওঁৰ গাত কেতিয়াও তিনি ভুখৰি কাপোৰতকৈ সৰহ নাথাকে। চুৰিয়াখনি পিন্ধাৰ ফালে পেটৰ ৰূপ বৰ্ণাওঁতেই বুজিব। বাকী,—একানে গাঁৰিদিয়া চেলেং এডোখৰ; আৰু কঁকালত তামোলৰ গামোছাখনি। গামোছাখনিয়ে জানিবা আৰু এটি উপকাৰ কৰে; সেয়ে নহলে চুৰিয়া নৰয়! তাৰ পাচত, গুণৰ কথা অলপ কওঁ। তালৈকো এটা লেঠা এই যে, সেই বিষয়ে কবলৈ হলে, প্ৰথমে মানুহটি মাতে-কথায় কেনে, তাক জানিব লাগে। কিন্তু, তেওঁৰ মুখৰপৰা দেখোন মাত-কথা শুনাই টান; কথা পাতিবলৈ ধৰিলে মানুহক মুখৰ থুইৰে বুৰাই দিয়ে! তাতে আকৌ কেঁচা ধঁপাতেৰে তামোল এমোকোৰা সদায় মুখৰপৰা নুগুচে। গতিকে, সেই-ছোৱা এৰিয়েই দিবলগীয়া হ'ল। কথা পাতিব নোৱাৰি সেইছোৱা এৰি দিয়া গ'ল যদিও, আন আন গুণৰ কথাকে অলপ কোৱা যাওক। ধনবৰৰ বুদ্ধিটি জানিবা এটি ভোটা-বেজী, এইখিনিতে কথা এটি শুনিলে, সেইখিনিতে আকৌ সেইটো তেনেই পাহৰিলেগৈ। বছেৰেকমানেও পণ্ডিতে চেকনিৰে পিঠিৰ ছাল ছিঙিও ক-খ খনকে মুখত অনাব নোৱাৰিলে। তাৰ ভিতৰতে, ক-খ নৌ শিকোঁতেই তেওঁ দহখনমান কিতাপ ফালিলে। পঢ়িব নোৱাৰি পণ্ডিতক ভুৱা দিয়া বিচক্ষণ বুদ্ধিটি চাওক,—যি কেইটা আখৰ মনত নৰয়, সেই কেইটা চিকুটি ফালি পেলাই দি, পণ্ডিতক কয় "মোৰ কিতাপতেই নাই, কেনেকৈ পঢ়িম?" পণ্ডিতৰ মাৰ খাই খাই দগা গৰুৰ দৰে মাৰলৈ আৰু কটাহি নকৰা হ'ল। সদায় মই বৰ, মই ধনী মানুহৰ ল'ৰা, মোৰ দেউতাক সকলোৱে মান কৰে, এনেবোৰ গণ্ডপ্-মৰা ভাব লৈয়ে ধনবৰ গঙ্গাটোপৰ দৰে ওফন্দি ফুৰে। দয়া, ক্ষমা, নম্ৰতা এনেবোৰ গুণৰ কোনো এটিলৈকে তেওঁৰ বহল হৃদয়ৰ এচুকতো ঠাই নাই। দুখীয়া, নিচলা, মগনীয়া মানুহ দেখিলে তেওঁ উগ্ৰমূৰ্ত্তি ধৰে। ঘৰলৈ কোনো মগনীয়া-খোজনীয়া আহিলে, ধনবৰে লগুৱা লগাই তাক তত্তালিকে পদূলিৰ বাজ কৰাই দিয়ে। তেওঁৰ প্ৰতাপত গৰু, ছাগলী, আনকি ডালৰ চৰাই-চিৰ্‌কতিয়েও কঁপি থাকে। ঘৰত থকাখিনিপৰত গৰু-ছাগলীয়ে বাৰীৰ চাৰিসীমাৰ ভিতৰলৈ ভুঁমিয়াবৰ সাধ্য নাই! কেতিয়াবা কোনো গৰু বা ছাগলী বাৰীৰ ভিতৰত দেখা পালে, সেই গৰু-ছাগলীৰ আৰু সেই দিনা শৰাধ! ধনবৰ বৰমতাই হালোৱা এছাৰিৰ কোবত তাৰ পিঠি দমলা-দমল কৰে; আৰু তাৰ পাচত বান্ধি লৈ, চকুত বিহ জলকীয়া ভাঙি দি, ঠেং এটামান খোৰা কৰি এৰি দিয়ে। ভদ্ৰতাৰ বিষয়ে ওপৰতে উহুকিয়া হৈছে; সদায় মইবৰ ভাবতে ওফন্দি থাকে। কোনো বুঢ়া বা বয়সীয়া মানুহে তেওঁৰ অত্যাচাৰ সহিব নোৱাৰি ভাল কথাৰে দুই-চাইটা উপদেশ দিব খুজিলে, ধনবৰে জঁাপ মাৰি ওপৰতে পৰিব খোজে! মাক-বাপেকৰ তো কথাকে নকওঁ; ভালেই হওক বা বেয়াই হওক, তেওঁবিলাকৰ মুখ বজাবৰ সাধ্য নাই। কিন্তু, আনবিলাকক যিমানেই যি কৰক,

কীৰ্ত্তিনাথ গোহাঞিক ধনবৰে এফেৰি মান কৰে; আৰু তেওঁ কিবা কথা কলে অলপ কাণ পাতি শুনে। আন কি, কেতিয়াবা কিবা দুষ্টালি কৰি থাকোঁতে কীৰ্ত্তিনাথ গোহাঞিয়ে দেখা পালে, ধনবৰ বোপা সেই ফালেই ঠৰ্ হয় আৰু ততালিকে তেওঁ এনে গহীন আৰু শান্ত হৈ পৰে, যেন ল'ৰাই সেই বিষয়ে একোকে কবই নোৱাৰে; তেনেটি নম্ৰ, ধীৰ আৰু শান্ত ল'ৰা, যেন আৰু পাবলৈকে নাই। বাস্তৱতে, ধনবৰ যেনে শকত-আৱত ল'ৰা, দুষ্টালি কামত নেদেখিলে, মানুহে কেতিয়াও তেওঁক দুষ্ট বুলি ভাবিব নোৱাৰে। তাৰ পাচত, স্বভাৱ-চৰিত্ৰৰ বিষয়ে অলপ ক্ষবলৈ আছে। এই বিষয়ে বহলাই নকলেও, ওপৰত দিয়া চানেকি চায়ে অনুমান কৰিব পাৰি। প্ৰথমে, দিনটোৰ ভিতৰত কাৰ ক'ত হানি কৰিব, কাক মাৰিব, কাক কিলাব, কাক ডকা দিব, কাক জগৰ লগাব, কাক জোকাব এইবিলাকেই হৈছে তেওঁৰ প্ৰধান চিন্তা। দিনটোৰ ভিতৰত নো ক'ত কিমান জগৰ লগাব, কিমান চুবুৰীয়াই মাক-বাপেকৰ ওচৰত গোচৰ দিবহি, তাৰ সীমা-সংখ্যা নাই। সকলোৱে ডাঙৰ মানুহৰ ল'ৰা বুলি সহি থাকে। ধেমালি কৰা ল'ৰাৰ ভিতৰতো তেওঁক কোনেও লগ দিব নোখোজে। কিন্তু লগ দিব নুখুজিলে বা হব কি?—যি কেইটাই লগ দিবলৈ আপত্তি কৰিব সিহঁতক মাৰি-কিলাই খেদি দি তেওঁ বলেৰে দলত সোমাই লয়। গাৱঁৰ বোৱাৰী-জীয়াৰীয়ে ধনবৰক দেখিলে ওলাবলৈ ভয় কৰে। দেউতাকে বেয়া পায় বুলি মাথোন কোনেও একো নকয়। এই গতিৰেই চলি সদৌশেহত ধনবৰ কিছুমান দুষ্ট মানুহৰ সঙ্গত পৰিল! ধনবৰক অলপ উচটাই হে দিব লাগে, তেওঁ একেবাৰে জঁাপ মাৰি মূধৰ ছালত উঠেগৈ। সেই দুষ্ট সঙ্গত পৰি লাহে লাহে ভেকাই ভাং-কানিতো মাজে-সময়ে ধৰা হ'ল। দুষ্ট মানুহবোৰে নিজৰ সুবিধা লাভৰ নিমিত্তে ধনবৰক ভাং-কানি খাবলৈ বৰকৈ উচটাবলৈ ধৰিলে। সিহঁতে কয়, "বোপা দেউতা! আপোনাৰ নো কি নাইকিয়া হৈছে? ৰামদেউৰ কিৰ্পাত, আপোনাৰ সকলো আছে। আপোনাৰ পিতাকৰ ইমান ধন-সম্পত্তি নো কোনে খাব; এইদৰে অলপ সুখ নকৰিলে নো জীৱন ধৰাৰ সকাম কি?" এনেকুৱা উদ্গনি পালে ধনবৰে যেন স্বৰ্গ ঢুকি পায়। এই শলাগনি ফেৰিৰ নিমিত্তেই তেওঁ মাজে-সময়ে সিহঁতক ঘৰৰপৰা চুৰ কৰি নি দুই-চাৰি টকা যি পাৰে দিয়েগৈ। আৰু, এনে-বিলাক মানুহৰ সৈতে হলে ধনবৰৰ বৰ মিল।

এইদৰেই কিছুকাল গ'ল। এদিন সেই কানীয়া-ভকতসকলে ধনবৰক লৈ ভালকৈ কানিৰ খোলাত বহিবৰ মন কৰিলে। ধনবৰক সেই প্ৰস্তাৱ শুনোৱা মাত্ৰকে, তেওঁ ঘৰলৈ গৈ যি পাৰে দহ-বাৰ টকা আনি কানীয়া ভকত-সকলক শোধালেহি! কানীয়া ভকতসকলৰ মহা আনন্দ মিলিল! লৰালৰিকৈ যথাসময়ত পাণৰ চাকি যুগুত কৰা হ'ল। এজনে গৈ চকুৰ টিপতে ঘৰৰপৰা ধনবৰক মাতি আনিলে। তাৰ পাচত, পাণৰ চাকি মাজতে লৈ, চাৰিপিনে চাৰি সিদ্ধ বহি, এপাশে ধনবৰ বোপা-দেউতাক দুতৰপীয়া কঠ এটাৰ ওপৰত বহুৱাই লৈ, পাণৰ চাকি পুৰিবলৈ আৰম্ভ কৰিলে! টিকিৰা পোৱাৰ লগে লগে কানীয়া-সভাৰ মেল আৰম্ভ হ'ল। যথা,—

১ম কানীয়া।—(দীঘলকৈ টান এটা মাৰি, ভলুকা বাঁহৰ হোঁকাটো ২য় কানীয়াৰ হাতলৈ দি, কথাত মুখৰ ধোঁৱা উৰাই) কোঁৱঁা, আল্পতি, কোঁৱাঁ কোঁৱাঁ। আজি তেওঁ বোপা-দেউতাৰ কিৰ্পাত্ উকেৰে পাণ চাকি পুৰি লোৱাঁ।

২য় কানীয়া।—(আঙ্গঠাডোখৰ জোকাৰি জোকাৰি) এবা, ৰামদেউৰ অনুগ্ৰহত কিন্তু, বোপা-দেউতাৰ মূৰৰ চুলিৰ সমান কিন্তু আয়ুস্ হক।

৩য় কানীয়া।—(হাত লেচাৰি লেচাৰি) নহয় বান্ধ, তাৰ-পৰা-তাপেনে-নামেনে, বোপা-দেউতাই ভাল ছোৱালী এটা পাওক।

৪ৰ্থ কানীয়া।—(৩য় কানীয়াৰ গাত ঠেলা এটা মাৰি) থোৱাঁ হে মিতা, তাৰ-পৰিণামে, তুমিও বৰ কথাটো, তাৰ পৰিণামে, বিচাৰি পালাগৈ! কৃষ্ণদেৱক চিন্তি, তাৰ-পৰিণামে, বোপা-দেউতাৰ নো ছোৱালীৰ, তাৰ-পৰিণামে, কি একাল লাগিছে।

১ম কানীয়া।—(ধোঁৱা এটোকা পেটলৈ গিলি) মই চাওঁতে অলে, লাৰবী আইদেউৰেই বোপা-দেউতাৰ বাল যোৱা মিলিব।

৩য় কানীয়া।—অ, বোপা-দেউতাক, তাৰ-পৰা-তাপেনে-নামেনে, বৰকৈ মুখুৰাবিহঁক। বোপা দেউতা, তাৰ-পৰা-তাপেনে-নামেনে, ল'ৰা মানুহ; তাৰ-পৰা-তাপেনে নামেনে, গাত বৰকৈ ধৰিব।

২য় কানীয়া।—এৰা, কিন্তু, ৰামদেউৰ অনুগ্ৰহত, বোপা-দেউতাই, কিন্তু, বৰকৈ খোৱা নাই।

ধনবৰ।—হয়, ককাইহঁত, মই বৰকৈ খোৱা নাই। ঘৰত গৈ টলং-ভটং কৰিলে জানিব নহয়; সেই দেখি, মই গা চাই হে খাইছোঁ।

৪র্থ কানীয়া।—তইতো, তাৰ-পৰিণামে, কিন্তু, ভাল আৰু! বোপা-দেউতাক, তাৰ-পৰিণামে, আমাৰ দুখীয়া ভেবা ল'ৰাৰ নিচিনা, তাৰ-পৰিণামে, দেখিছ নে? কৃষ্ণদেৱক চিন্তি, বোপা-দেউতাক, তাৰ-পৰিণামে, আমি কি বুজনি দিবৰ লায়েক।

২য় কানীয়া।—(ভাল কথকি বোলাই) নহয়, কিন্তু, কথাটো হে—

এনেতে, শূলধৰ বৰগোহাঞিৰ প্ৰবেশ! তেওঁক মনে মনে কোনোবাই সম্ভেদ দিলেগৈ। শূলধৰ বৰগোহাঞিয়ে, সোধপোছ নাই, পোনেই সোমায়েই হাতৰ লাখুটিৰে সৈতে উধামুধাকৈ যাকে য'তে পালে, তাকে ত'তে টঙ্গনিয়াবলৈ ধৰিলে। কানীয়াহঁত যেয়ে যেনিয়ে পাৰিলে, দুৱাৰ-বাৰ ভাঙ্গি পলাই-পত্ৰং মাৰিলে। ধনবৰ বোপা কিন্তু সবাতকৈ আগ। তাৰ পাচত, শূলধৰ বৰগোহাঞিয়ে ঘৰলৈ আহি পুতেকক ডাবি-হুঁকি দি, সেই দুষ্ট মানুহবোৰক আঁতৰ কৰাবৰ নিমিত্তে কীৰ্ত্তিনাথ গোহাঞিদেৱৰে সৈতে পৰামৰ্শ কৰিবলৈ স্থিৰ কৰিলে। ধনবৰে এই কথা শুনি দেউতাকক কাকুতি কৰি, কীৰ্ত্তিনাথ গোহাঞিক এই কথা নজনাবলৈ টানি ধৰিলেহি। তেৰোঁ মান্তি হ'ল। গতিকে, কীৰ্ত্তিনাথ গোহাঞিয়ে ধনবৰ বোপাৰ কানি-খোলাত বহাৰ বিষয়ে একো সম্ভেদ্ নাপালে। কীৰ্ত্তিনাথ গোহাঞিয়ে ইমান দিনে ধনবৰৰ সম্বন্ধে একো বেয়া কথা শুনা নাই; মুঠতে তেওঁ ধনবৰক শান্ত আৰু বৰ সজ স্বভাৱৰ ল'ৰা বুলি হে জানে।

সপ্তম অধ্যায়

লাহৰী-কমল

আমি, ছেগ বুজি, আকৌ লাহৰী-কমলৰ ওচৰলৈ যাওঁ। সেই দিনা ফুলনিত লাহৰীয়ে কমলক প্ৰথম অমৃয়া প্ৰেমৰ আবেগেৰে মোহ লগাবৰেপৰা লাহে লাহে দিনো বাঢ়ি আহিছে আৰু তাৰ লগে লগে সেই মোহ ক্ৰমাৎ ভাঠ্ হৈ আহিবলৈ ধৰিছে। লাহৰীয়ে অকল কমলক মোহ লগাই, তেওঁক নিজৰ ইচ্ছা মতে টনা-টিলোৱা কৰি বং চোৱাঁ নাই, —লাহৰীয়ে সেই দিনাই নিজৰ ডিঙ্গিতো সেই মোহৰ ফাঁহ লগাই কমলৰ ডিঙ্গিত আঁটি দিছে। সেই গাঁঠি ক্ৰমাৎ দৃঢ় হৈছে বুলিও, সি চোঁচনী-গাঁঠি হে; টানিলেই চোঁচা খায় আৰু এৰি দিলেই ঢিলা হৈ পৰে। এতিয়া দুয়ো ওচৰা-উচৰি হৈ আছেমানে একো বিপদৰ আশঙ্কা নাই। কিন্তু, এটিৰ পৰা আনটিয়ে আঁতৰি যাব লগাত পৰিলে, বা কোনোবা শতুৰুৱে বলেৰে ধৰি দুইকো দুফালে আঁতৰাই নিব লাগিলে, এটিও নাবাঁচে; টেঁটু-চেপা লাগি দুইটি দুফালে হানি হব! অহঃ, শতুৰুৱেই হল লাগে, এনে দুটি প্ৰাণীৰ অন্ত পেলাবলৈ নো কাৰোবাৰ মত যাব নে? কাৰ নো এনে শিলাময় হিয়া আছে যে, এনে দুটি সুন্দৰ মূৰ্ত্তিক দেখি অলপো নপমিব? যি এনে নিকৰুণ কাম কৰিবলৈ আগ বাঢ়িব, সি যে নিয়ন্তাৰ ওচৰত ঘোৰ অপৰাধত অপৰাধী হব। সৃষ্টিকৰ্ত্তাই যে এই দুটি প্ৰাণীক স্ৰজোঁতে বহু পৰিশ্ৰম কৰিলে; আৰু বহু কষ্ট সহিলে। আৰু, শতুৰু হবলৈকো, লাহৰী-কমলে নো কাক কি কৰিছে?—কাক নো কেতিয়া আমনি কৰিছে? লাহৰী-কমলে দেখোন কাৰো ঘৰলৈ নাযায়, কাকো এটা বঢ়া-বচন নোবোলে, কাকো বেজাৰ পোৱা কথা এটি নকয়, কাৰো লগত কন্দল নকৰে, কাৰো কেতিয়াও অহিত নিচিন্তে। বৰঞ্চ, সিবিলাকে দুখীয়াৰ দুখত পুতৌ কৰে, নিচলাৰ শোকত শোক কৰে, বেজাৰ কৰা মানুহৰ লগত বেজাৰ কৰে; আৰু পৰাখিনিত তেনে দুখ, শোক আৰু বেজাৰ গুচাবলৈ হে যত্ন কৰে। তেন্তে নো পৃথিৱীত লাহৰী-কমলৰ কোন্ শত্ৰু আছে?—নাই, এই জগতত লাহৰী-কমলৰ শত্ৰু

নাই! কমল হেন এটি সুন্দৰ উঘা ভাঙোতাও নাই আৰু সেই উঘাত মেৰ খাই থকা নিৰ্ম্মল প্ৰেমৰ লাহৰী-সূতা ছিঙোতাও নাই। আমি তেন্তে লাহৰী-কমলৰ বিপদৰ ভাবনা এৰি পেলাওঁ। তেওঁবিলাকে নিজৰ ইচ্ছামতে যিমান পাৰে সিমান আগুৱাওক; তেওঁবিলাকে সেই অময়া প্ৰেমৰ মোহ যিমান পাৰে, সিমান ডাঠ্ কৰোক, তাত আমাৰ অকণো ভাবনা নাই।

যেই-সেই কথাতে কমল বৰ থিৰ। পঢ়াশালিত নাম লগাবৰেপৰা কমলে যেনেকৈ এদিনো পঢ়াশালিলৈ যোৱা খতি কৰা নাই, লাহৰীৰ ওচৰত "সদায় আহিম" বুলি কোৱা দিনৰেপৰা লাহৰীহঁতৰ ঘৰলৈকো তেওঁ এদিনো নহাকৈ থকা নাই। লাহৰী-কমলৰ নিতৌ নতুন ভাব, নতুন কথা, নতুন উলাহ। এনে কোমল বয়সত নো লাহৰী-কমলে কেনেকৈ ইমান নতুন ভাব, নতুন কথা লৈ নিতে নিতে নতুন ভাৱে উমলিব জানিছিল, তাক সহজে বুজা টান। তাৰ কাৰণ হৈছে, প্ৰেমে যেই-সেই মানুহৰে মন-প্ৰাণ প্ৰেম-কথা প্ৰেম-ভাবেৰে সাৰুৱা কৰি থয়। যি প্ৰকৃততে আৰু সৰলভাৱে নিঃস্বাৰ্থ প্ৰেমত পৰে, সি আৰু তেনে প্ৰেম-কথা প্ৰেম-ভাব বিচাৰিবৰো আৱশ্যক নকৰে আৰু কাৰো ওচৰত তেনে কথা, তেনে ভাব শিকিবও নালাগে। অকৃত্ৰিম আৰু নিঃস্বাৰ্থ প্ৰেমৰ এয়ে বিশেষত্ব। যি জনে সঁচাকৈয়ে এনে অময়া-প্ৰেমত পৰে, তেওঁক প্ৰেম-দেৱীয়ে জয়ে-জয়ে আদৰেৰে ইয়াকে হে বঁটা দিয়ে। কিন্তু, যি নিজৰ স্বাৰ্থসিদ্ধিৰ কাৰণে প্ৰেম কৰে, যি ভালপোৱা পাবৰ আশাৰে ভালপোৱা দিয়ে, যি নিজৰ উদ্দেশ্য সিদ্ধিৰ নিমিত্তে সঁচাই-মিছাই বাৰবুৰি কথা জুকিয়াই লয়, বা আনৰপৰা শিকি লয়, তেনে কৃত্ৰিম প্ৰেমিকৰ প্ৰেমালাপ সীমাবদ্ধ। তেনে প্ৰেমিকৰ হিয়া উদং, তেনে প্ৰেম দুদিনীয়া আৰু তাৰ পৰিণাম সততে শোচনীয়। তেনে প্ৰেমক কৃত্ৰিম আৰু স্বাৰ্থপৰ প্ৰেম'বোলা যায়। মনৰ মিল আৰু প্ৰাণৰ মিলনে লাহৰী-কমলৰ দিনে দিনে তেনে নতুন ভাব, নতুন কথা, নতুন লাহ-বিলাহ তাল পৰিমাণে বঢ়াবলৈ ধৰিলে। দিন বাগৰি সপ্তাহত পৰিল, সপ্তাহ বাগৰি মাহত পৰিল, মাহ বাগৰি বছৰত পৰিল; আৰু তেনে বছৰো কেইবাটাও পাৰ হল। এতিয়াও নিতে নিতে নতুন ভাব, নতুন লাহ-বিলাহ! বছৰৰ লগে লগে আমাৰ লাহৰী-কমলৰ বয়সো বাঢ়িল; এতিয়া লাহৰীৰ বয়স পোন্ধৰ বছৰত আৰু কমলৰ বয়স কুৰি বছৰত সোমাইছেহি। আৰু, বয়সৰ লগে লগে প্ৰণয়ৰ মোহ ক্ৰমাৎ ডাঠ্ হবলৈ ধৰিছে। কথা-বাৰ্ত্তা, ভাব-গতি সকলো আগতকৈ ৰসাল আৰু সাৰুৱা হৈ আহিছে। বয়স-বাৰিষা পাই পৱিত্ৰ প্ৰেম-নৈৰ মিলন সোঁতে খৰতৰ গতি ধৰিছে!

এইদৰে সদায় পৱিত্ৰ প্ৰেম-নৈৰ নিৰ্ম্মল পানীৰ সোঁতত ভাহিবলৈ পাই লাহৰী-কমলৰ সুন্দৰ মূৰ্ত্তি দিনে দিনে দুগুণ জেউতিৰে ফুলি আহিবলৈ ধৰিলে। ইটিৰ ৰূপত সিটিয়ে, সিটিৰ ৰূপত ইটিয়ে মোহ গৈ বিভোল হবলৈ ধৰিলে। আন কি এই দুটি প্ৰাণীক একেলগে দেখিলে, ছমহীয়া ৰোগীয়েও বিষম ৰোগৰ মৰ্ম্মান্তিক যন্ত্ৰণা পাহৰি এবাৰ মূৰ দাঙি চাব খুজিব। দুইটিকে পুখুৰীপাৰৰ জোপাৰ মাজত বহি প্ৰেমালাপ কৰা দেখিলে, মহা প্ৰেমিক ডালৰ কপৌ-কপৌৱনীয়েও নিজৰ প্ৰেমক হেয় জ্ঞান কৰি ঈৰ্ষাভাৱে চাব। ইমান দিনে নো কত প্ৰকাৰৰ কত প্ৰেমালাপ হৈ গল, তাৰ সীমা-সংখ্যা নাই। মুঠতে, কবলৈ গলে, লাহৰী-কমলৰ অন্তৰৰ প্ৰেম-নিজৰা পৃথিবীৰ নাগফুটা নিজৰাৰ দৰে অক্ষয়। আন কি, সেইবাবে আজৰিৰ অভাৱত কমলে ইমান দিনেও লাহৰীক নিজৰ ঘৰৰ কথা আৰু বিপদৰ কাহিনীও ভালকৈ ভাঙিপাতি কবলৈ ছেগ পোৱা নাই। ইয়াৰ ভিতৰতে এদিন লাহৰী-কমল দুয়ো আন দিনৰ দৰে পুখুৰীপাৰত ফুলনিৰ মাজে মাজে ফুৰি কথা পাতি ফুৰিছে, এনেতে গাৱঁৰ আন ল'ৰা-ছোৱালী আহি উপস্থিত। লাহৰী-কমল পুখুৰীৰ সিপাৰে আছিল। তেওঁবিলাক ল'ৰা-ছোৱালীবিলাকৰ ওচৰলৈ ঘূৰি আহোঁতে পুখুৰীৰ মাজত ফুলি থকা পদুম এপাহিত লাহৰীৰ চকু পৰিল। ল'ৰা-বিলাকৰ ওচৰ চাপিলত লাহৰীয়ে ফুলপাহ আনি দিবলৈ ইটো-সিটোক খাটনি কৰিবলৈ ধৰিলে। সিহঁতৰ ভিতৰতে আমাৰ ধনবৰো আছিল। ধনবৰে তেওঁৰ গাত এনেটি কামৰ ভাৰ পৰে বুলি, ছেগ বুজি, হুগুনাৰ ভাও জুৰি আঁতৰি আঁতৰি পুখুৰীৰ সিপাৰ পালেগৈ। বাকী ল'ৰা-

বিলাকৰ ভিতৰত কোনোৱে 'সাঁতুৰিব নেজানো' কোনোৱে 'চুৰিয়া তিতিব', কোনোৱে 'গধূলি পানীত তিতিলে আয়ে খং কৰিব'—এনেবোৰ আপত্তি কৰি কোনো ফুল আনিবলৈ নোলাল। পিচে, লাহৰীয়ে অসন্তোষ মনেৰে কমলৰ ফালে চালে। কমলে ততালিকে গাৰ চোলাটি সোলোকাই লাহৰীৰ হাতত দি, সাঁতৰ মেলি গৈ, এটি কলিৰে সৈতে ফুলপাহ ছিঙ্গি লৈ, আকৌ এহতীয়া সাঁতৰ দি পাৰ উঠিলহি; আৰু হাঁহি হাঁহি ফুলপাহ কলিটিৰে সৈতে লাহৰীৰ হাতত দিলেহি। পিচ-মুহূৰ্ত্ততে লাহৰী-কমল আনন্দত সেই ফুলৰ দৰেই ফুলি উঠিল! কমলে আজি 'কছাৰি-ৰণ'ত জিকি অহা হলেও ইমান আনন্দ আৰু গৌৰৱ বোধ নকৰিলেহেঁতেন কিজানি। লাহৰীৰ অপাঙ্গত আনন্দাশ্ৰু চল্‌চলীয়া হৈ উঠিল! কমলৰো সেই একে আবেগতে মন-প্ৰাণ বিগলি পৰিল! কিন্তু, কমল আৰু সৰহ পৰ ৰব নোৱাৰিলে, বেগাবেগিকৈ তিতা কাপোৰ সলাবলৈ ঘৰলৈ যাব লগা হল। কমল ঘৰলৈ গল, কিন্তু তেওঁৰ চেনেহৰ চিন্, তেওঁ পৰম উলাহেৰে পানীৰ-পৰা তুলি আনি দিয়া কমল-কলি-ফুল লাহৰীৰ হাততে ৰল। লাহৰীয়ে চকুৰে দেখালৈকে পিচৰপৰা কমলক একে-থৰে চাই আছিল; নেদেখা হলত, হাতৰ ফুল-কলিকে ঘনে ঘনে শুঙ্গিবলৈ ধৰিলে। কলিটি আৰু ফুলটি তেওঁ যিমান বাৰ শুঙ্গে, সিমানবাৰ কমলৰ সৌৰভে লাহৰীৰ হিয়া আমোল্‌মোল্ কৰে; কলিটিক যিমানবাৰ তেওঁ চুমা দিয়ে, সিমানবাৰ কমলৰ ভাবেৰে লাহৰীৰ অন্তৰ ভৰপূৰ হয়। আজি ফুলটিৰ ভাগ্য যে, কমলৰ কোমল হাতেৰে ছিঙ্গা পৰিল; নহলে লাহৰীৰ জেতুলীপকা যেন ওঁঠৰ অমিয়া পান কৰিবলৈ সি নাপালেহেঁতেন। কলিটিৰ সৌভাগ্য যে, আজি সি লাহৰীৰ হাতত কমলৰ উপহাৰ হবলৈ পালে; নহলে এই জন্মত তাৰ ইমান গৌৰৱ নাবাঢ়িলেহেঁতেন। দেহি ঐ, লাহৰীয়ে যেন ফুলটি হাতৰপৰা নেৰিবই। পদুম কলিটি যেন লাহৰীৰ অন্তৰঙ্গ হে,—সি আঁতৰিলেই যেন বুকুৰ উত্তমাঙ্গ সৰি পৰে! সঁচাকৈয়ে, পিচদিনা আকৌ কমলৰে সৈতে মিলন নোহোৱালৈকে পদুম কলিটি লাহৰীৰ বুকুৰ ধন হৈয়ে আছিল। বুকুতে ফুলি তাৰ এপাহি সৰিলেই যেন লাহৰীৰ হিয়াৰ এচিকটা এৰাই যায়! পাহিটি লেৰেলিলে যেন লাহৰীৰ প্ৰাণটিও অন্তৰতে শুকাই যায়!

পিচদিনা আবেলিপৰত ফুলপাহ আঁচলৰ আগত মেলি লৈ পুখুৰীপাৰত লাহৰী বহি আছে, এনেতে পিচফালৰপৰা কোনোবাই মনে-মনে লাহৰীৰ চকু দুটি মুদাই ধৰিলেহি। লাহৰী পোনেই উচাপ্ খাই উঠিছিল, পিচে পিচমুহূৰ্ত্ততে সেই মনচোৰৰ আঙ্গুলিকিটিৰ পৰশন অনুভৱ কৰি, লাহৰীয়ে আনন্দত খল্‌খলাই হাঁহি উঠি কবলৈ ধৰিলে, "বুজিছোঁ,—কমল, কমল।" কমলে চাঁত্‌কৰে হাত-এৰা দি সুধিলে, "কেনেকৈ বুজিলা মই বুলি লাহৰী?"

লাহৰী।—এনেকৈয়ে বুজিলোঁ। আঙুলিকিটিৰ উমানতে ধৰিলোঁ। দেখা পোৱা হলে নাই দেই।

কমল।—উমানতে নো কেনেকৈ ধৰিলা মই বুলি?

লাহৰী।—তেনেকৈয়ে ধৰিলোঁ। তোমাৰ আঙ্গুলি-কিটি চুই মই উমানতে কব পাৰোঁ নহয়, তুমি বুলি।

কমল।—(অলপ পৰ লাহৰীৰ মুখলৈ মোহ লাগি চাই থাকি) ময়ো বুজোঁ, লাহৰী, তোমাৰ মুখখনি চায়ে তোমাৰ অন্তৰখনি বুজোঁ! পিচে, তুমিচোন কালিৰ সেই লেৰেলা ফুলপাহকে লৈ আছা? নতুন এপাহ লাগে নেকি? আনি দিম নে?

লাহৰী।—নালাগে কমল, নালাগে আনিবগৈ।

সেই বুলি কমলৰ মুখলৈ চাওঁতেই লাহৰীৰ চকু চল্‌চলীয়া হৈ উঠিল। নিমিষতে দুগালে দুধাৰি মুকুতা-পানী ববলৈ ধৰিলে। কমলে দেখি বিতত্ হৈ সুধিলে, "কিয়, লাহৰী! কিয় কান্দিছা?" লাহৰীয়ে ততালিকে উত্তৰ দিলে, "নাই কন্দা, কমল! এনেয়ে চকু-পানী ওলায় দেখোন!" কমলে আকৌ সুধিলে, "এইটো ফুল লেৰেলিছে, আন এটা আনি দিওঁ, দেই?" লাহৰীয়ে উত্তৰ দিলে, "নালাগে, কমল, আবেলি-বেলিকা তোমাক এইদৰে তিতি জুকলি হোৱা দেখিবলৈ মই ভাল নাপাওঁ। এই লেৰেলা ফুলটিয়েই তুমি নহালৈকে মোৰ মানত সৌ নতুনকৈ ফুলি থকা কেইটাত-কৈয়ো তেজা হে আছিল। অ, কমল, তুমি নো এনেকৈ সাঁতুৰিবলৈ কেতিয়া শিকিলা?"

সেই প্ৰশ্ন শুনি কমলে অলপ জিকাৰ খাই উঠি লাহৰীৰ মুখৰ ফালে চাই ঠৰ্ হৈ ৰল; আৰু পিচ-মুহূৰ্ত্তেতে বিষাদ ভাৱে কমলৰ মুখ-চন্দ্ৰ ঢাকি পেলালে! সেই মুহূৰ্ত্তৰ কাৰণে ফুলনিত লাহৰী-পোহৰ নাইকিয়া হল! তাৰ পাচত, কমলে লাহৰীক বিচূৰ্ত্তি হোৱা যেন দেখি, এটি দীঘল হুমুনিয়াহ কাঢ়ি কবলৈ ধৰিলে, "লাহৰী! এই সাঁতৰ মই আমাৰ আগৰ ঘৰতে শিকা; ইয়াকে নজনা হলে, মই সেই বৰনৈত নাও বুলি তললৈ যোৱাৰপৰা আকৌ ওলাব নোৱাৰিলোঁহেঁতেন। আৰু, লাহৰী! এই সাঁতৰ নজনা হলে, কালি তোমাক পুখুৰীৰ মাজৰপৰা পদুম ফুল-কলি আনি দি, আজি মোৰ সকলো দুখ পাহৰিব পৰা অতুল সুখৰ গৰাকী হব নোৱাৰিলোঁহেঁতেন।" এই কথা কৈয়ে কমল আকৌ হাঁহিমুৱা হল। তাৰ পাচত, লাহে লাহে কমলে হৈ-যোৱা ঘটনাৰ গুৰিৰেপৰা কবলৈ লাগিলে, লাহৰীয়ে কমলৰ মুখলৈ চাই একান্ত মনেৰে শুনিবলৈ লাগিলে। প্ৰথমে কমলৰ দেউতাক, আইতাক আৰু তেওঁৰ ল'ৰাকালৰ কথা কৈ যাওঁতে লাহৰীয়ে আনন্দত মিচিকি মিচিকি হাঁহি আছিল। তাৰ পাচত, বুঢ়াগোহাঞি ডাঙৰীয়াৰ অত্যাচাৰৰেপৰা কমল পামপুৰলৈ অহালৈকে, এই-ভোখৰ বৰ্ণাওঁতে লাহৰীয়ে চকু-লো টুকি তত্ নাপাইছিল। বিবৃতি ওৰ পৰিলত, লাহৰীয়ে কমলৰ হাতখনি নিজৰ দুই হাতৰ মাজত সুমাই লৈ মোহাৰি মোহাৰি কবলৈ ধৰিলে, "কমল! এতিয়াৰেপৰা আৰু তুমি সেইবোৰ কথা মনত পেলাই বেজাৰ নকৰিবাঁ দেই; মোৰে শপত, কমল, বেজাৰ নকৰিবাঁ দেই। কমল! তোমাক বেজাৰ কৰা দেখিলে মোৰো দেখোন বেজাৰ লাগে! কমল! মোৰ কথাত পতিয়ন যোৱাঁ যদি, মই সঁচা কথা কৈছোঁ।"

কমল।—"লাহৰী! তোমাৰ কথাত পতিয়ন যোৱাৰ কথা কৈছা নে? তোমাৰ কথা নপতিয়াবলৈ মই ন-কৈ শিকিলে হে হব! মোৰ কথাও যদি পুতিওৱাঁ, লাহৰী! মই সঁচাকৈয়ে কৈছোঁ, তোমাৰে সৈতে প্ৰথম কথা-পাতিবৰ দিনৰেপৰা মই সকলো বেজাৰ পাহৰিলোঁ।" কমলৰ সেই কথাত উৰুলীকৃত হৈ দুয়ো হাঁহিবলৈ ধৰিলে। তাৰ পাচত, তাৰপৰা উঠি দুয়ো ফুলনিৰ মাজে মাজে ফুৰিবলৈ ধৰিলে। অহঃ, লাহৰী-কমল বৰ দৃঢ়ৰূপে বান্ধ খালে! কমল-গছ পাই লাহৰী-লতাই একাঙ্গুল ফাঁক নথকাকৈ মেৰালে! এতিয়া গছ বা লতাত ধৰি আঁজুৰিলেও বান্ধ এৰুৱাবৰ সাধ্য নাই। কমল-গছ যে আন আম-কঁঠাল গছৰ দৰে টান নহয়,—নিচেই কোমল; লাহৰী-লতাই পাই হে মট্-মটীয়াকৈ খৈছে। এই লতাডালি এৰুৱাব খোজোঁতেই কোমল পানী-গছ থুনুৰাই ভাগিব! আৰু, লতাডালিও আন লেটেকা লতাৰ দৰে নহয়; পানীত থকা লাহৰী-লতা, নিচেই কোমল। কোমল কমল-গছ পাই হে লাহৰী-লতাই মেৰাবকে পাৰিছে; এৰুৱাব খোজোঁতেই লতা উৰ্বলি যাব!

অষ্টম আধ্যা

বিয়াৰ মন্ত্ৰণা

পোন্ধৰ বছৰ পাৰ হৈ লাহৰীৰ বয়স এতিয়া যোল বছৰত সোমালহি। লাহৰীৰ আৰু এতিয়া আগৰ দৰে গাৱঁৰ ল'ৰা-ছোৱালীৰে সৈতে পুখুৰীপাৰৰ ফুলনিত ফুৰি উমলিবৰ দিন নাই। লাহৰীৰ আৰু এতিয়া তেওঁৰ প্ৰাণৰ প্ৰাণ মৰমৰ কমলৰে সৈতে হাতত ধৰা-ধৰিকৈ ফুলনিৰ মাজে মাজে ফুৰি নানা তৰহৰ নিতে ন-ন কথা পাতি আনন্দ উপভোগ কৰাৰ দিনো নাই। লাহৰী এতিয়া ভিতৰ-বাৰীত ফুলি থকা এপাহি গোন্ধত আমোলমোল্ গোলাপ ফুল। লাহৰী এতিয়া বুলনিঘৰত আঁৰি থোৱা সজাৰ এটি মইনা পখী। লাহৰী এতিয়া পুখুৰীপাৰৰ ফুলনিত বিৰহিণী ৰাধিকা। কিন্তু, আনন্দময়ী লাহৰীৰ ইমানতো অপাৰ আনন্দ! দেউতাক আৰু আইতাকে ভাল পোৱা কাম কৰাত লাহৰীৰ অকণো আপত্তি নাই। লাহৰীয়ে ভিতৰ-বাৰীত ফুলিও, যাক গোন্ধ বিলাব লাগে, তাৰেপৰা বিলাইছে। লাহৰীয়ে বুলনিঘৰত আঁৰি থোৱা সজাৰ মইনা চৰাই হৈয়ো, যাক মইনা-মাত শুনাব লাগে, তাৰেপৰা শুনাইছে। লাহৰীয়ে পুখুৰীপাৰৰ ফুলনিত বিৰহিণী ৰাধিকা হৈয়ো, হৃদয়-মন্দিৰত, ধ্যানত প্ৰাণৰ কমল-কৃষ্ণ-ধনক লগ পাইছে। লাহৰীক নো তেন্তে আৰু লাগিছে

কি? লাহৰীয়ে আৰু ইয়াৰ ওপৰঞ্চি একো নিবিচাৰে। ইয়াকে পালেই লাহৰী সদায় সন্তুষ্ট। লাহৰীয়ে, দেউতাক আৰু আইতাকৰ ইচ্ছা-বিৰোধী হলে, এইফেৰা সুখৰপৰাও নিজকে নিজে বঞ্চিত কৰিব পাৰে। লাহৰীয়ে, দেউতাক আৰু আইতাকৰ আজ্ঞা পালে, তেওঁবিলাকক সন্তোষ দিবলৈ নিজৰ জীৱন পৰ্য্যন্ত উছৰ্গা কৰিব পাৰে। ইমান দিনে লাহৰীয়ে দেউতাক বা আইতাকৰ এটিমান কথা পেলাইছে বুলি কোনেও কব নোৱাৰে; দেউতাক বা আইতাকে যেতিয়াই যি কয়, লাহৰীয়ে সেই কাম তেতিয়াই হৰিষ্ চিতেৰে কৰে। সৰহ কোৱাৰ সকাম নাই, কোনোবা সৰু পাঠক-পাঠিকাই যদি মাক-বাপেকৰ কথা শুনিবলৈ বা সদায় মাক-বাপেকৰ বাধ্য থাকিবলৈ শিকিব খোজে, তেন্তে তেওঁ লাহৰীৰ চলন-ফুৰণ আৰু আচাৰ-ব্যৱহাৰলৈ একাণপতীয়া হৈ চাওক। অহঃ! সেই বুলি, সেই কমল-গছৰ গাৰপৰা এই লাহৰী-লতাডালি একুৰাবৰ কাৰবাৰ নকৰিবাঁহক! সেই বুলি, সেই লাহৰী-কমল দুটি সুন্দৰ উঘাত মেৰ খাই থকা দুডালি পবিত্ৰ প্ৰেম-সূতা ছিঙিবলৈ মন নেমেলিবাঁহক। তাৰপৰা যে তোমালোকৰ উদ্দেশ্য সিদ্ধি নহব, অনাহকত সেই কোমল কমল-গছ জুপি আৰু লাহৰী-লতাডালি নাশ কৰা হব মাথোন, অবাবতে তেনে দুটি সুন্দৰ উঘা ভাঙিব লগাত পৰিব। লাহৰী-লতা বৰ লাজকুৰীযা, একুৰাওঁতে মৰ্ম্মান্তিক বেদনা পালেও তলৰ জিভা ওপৰ নকৰে, নিমাতী ভাৱেই উৰঁলি যাব! সেই দুগছি নিৰ্ম্মল প্ৰণয়-সূতা এগছি হৈ লাহৰী-কমল জীয়াই থাকেমানে অনন্ত, ছিঙিবৰ মনেৰে মাজতে ধৰি টানি নিলে সি ওলাই গৈয়ে থাকিব। গতিকে, সূতাগছ একুৰাবলৈ হলে, উঘা দুটি নাভাঙিলে নহব! এতেকে, এনে নিকৰুণ কাম কৰিবলৈ মন নেমেলিবাঁহক। এনে নিঠুৰ কেতিয়াও নহবাঁহক। কেৱে কেতিয়াও এই দুটি প্ৰাণীলৈ ঈৰ্ষাভাৱে নাচাবাঁহক।

এইদৰেই আজি দুবছৰ পাৰ হৈ গল। ইমান দিনে লাহৰীয়ে দুখ কাক বোলে, শোক কাক বোলে, একো কব নোৱাৰিছিল। ইমান দিন লাহৰী সকলোৰে ওচৰত আল-সুৱা থাকি সকলো কথাতে সুখত আছিল। আজি লাহৰীৰ সেই সুখৰ আগত বিঘি-পথালি! আজি লাহৰীৰ সেই সুগম পথত কোনোবা শতুৰুৱে মনে মনে বিঘিনিৰ কাঁইট পুতিলেহি। আজি লাহৰীৰ নিৰ্ম্মল সুখ-আকাশত লাহে লাহে বিপদ-ডাৱৰে দেখা দিছেহি। লাহৰীয়ে এতিয়াও ওপৰলৈ চকু মেলি চোৱা নাই এথোন; কিন্তু, সৰহ পৰ নাই, অলপতে চাবই লাগিব, অলপতে সেই ডাৱৰৰ ঘোৰ মূৰ্ত্তি দেখা পাব।

ল'ৰা-ছোৱালী যিমানেই ডাঙৰ হল লাগে, মাক-বাপেকৰ মানত তথাপি কেঁচুৱা। লাহৰীৰ দেউতাক আৰু আইতাকেও সেই বয়সলৈকে লাহৰীক কথা-নজনা কেঁচুৱা ছোৱালীটি যেন ভাবি আছিল। কিন্তু, পাচলৈ সিবিলাকে দেখিলে যে, সেইদৰে সৰু-সৰু বুলি আওকণীয়াকৈ থাকিবৰ আৰু সময় নাই, কোনো এটি সজ পাত্ৰত ছোৱালীটি গতাবৰ সময় পালেহি। কীৰ্ত্তিনাথ গোহাঞিয়ে এই কথা কেইবা-দিনৰেপৰা ভাবি আছিল; ভাৰ্য্যাৰে সৈতে আলচ পাতিবলৈ হে আজৰি পোৱা নাছিল। পিচে, এদিন ৰাতি, ভাত-পানী খাই লাহৰী শোৱাৰ পাচত, তেওঁ ছেগ বুজি ভাৰ্য্যাক কলে, "শুনিছা নে, আজি মই কেইবাদিনৰেপৰা তোমাক কথা এটা সোধোঁ-সোধোঁকৈ সুধিবলৈ সুবিধা পোৱা নাই। লাহৰী শুলে নে? চোৱাঁচোন।" এই কথা কৈ তেওঁ তললৈ মূৰ কৰি আকৌ কিবা গুণিবলৈ ধৰিলে। লাহৰী শুলে নে নাই বুলি সোধোঁতেই ঘৈণীয়ে বুজি উঠিলে। তাৰ পাচত, তেওঁ লাহৰীৰ ফালে জুমি চাই, উত্তৰ দিলে, "লাহৰী নো ইমান পৰলৈ সাৰে থাকে নে? শুলে, কি কব খুজিছে কওক।"

কীৰ্ত্তিনাথ।—কি কব খুজিছোঁ—বোলো, এতিয়াও আওকণীয়া হৈ বহিয়ে থাকাঁ নে? ছোৱালীটি বিয়া দিয়াৰ বিষয়ে এটা উপায় কৰিব লাগিল নহয়? ষোল বছৰ হলহি; এতিয়া নিটাল মাৰি বহি থাকিলে আৰু গা নবয়। ভাল ল'ৰা এটি বিচাৰিব লাগিল! মই আজি তিনি-দিনমানৰেপৰা ভাবি আছোঁ; একো স্থিৰ হে কৰিব পৰা নাই। তুমি নো কি উপায় কৰিব খোজাঁ, কোৱাঁচোন বাৰু।

ঘৈণী।—মই হে উপায় কৰিব লাগে! মই আপোনাক্তকৈ

বহুত দেখিছোঁ, বহুত শুনিছোঁ আৰু সৰহ কথা জানোঁ নহয়? সেই কাৰণে, আপুনি একো স্থিৰ কৰিব নোৱাৰাত হবলা মই স্থিৰ কৰিব লাগে, নহয়? ময়ো আজি ভালেমান দিনৰেপৰা এই কথা মনতে পাঙ্গি আছোঁ; আপোনাক কোৱা হে নাই। তাৰ পাচত, এদিন কমল—

কীৰ্ত্তিনাথ।—কি! কমলকে বিচাৰি পালাঁগৈ হবলা? বৰ ভাল উপায়কে কৰিলাঁ! কমলৰ জাঁতি-গুৰিৰ কথা নাজানা হবলা? সেইদিনা কৃষ্ণৰাম গোহাঞিক মতাই আনি নো মই কি সুধিছিলোঁ? কমল আমাৰ কোনো বিষয়াৰ ঘৰৰ ল'ৰা নহয়; কৃষ্ণৰাম গোহাঞিৰ তোলনীয়া ল'ৰা হে। কমল নো আচল ক'ৰ ল'ৰা, কৃষ্ণৰাম গোহাঞিয়েও ভালকৈ কব নোৱাৰে। তেওঁ অনুমানত যিমানৰেপৰা কব, তাৰপৰা জাঁতিগুৰি একো ঠিক কৰিব নোৱাৰি! তথাপি, তেওঁ অনুমানত উজনিৰ কোনোবা বিষয়াৰ ল'ৰা বুলি কয়। কমলৰ ৰূপ, গুণ, স্বভাৱ-চৰিত্ৰ আদিলৈ চাই আমিও তাকে ভাবোঁ। কিন্তু, তাৰপৰা কি হব? মানুহে বুলিব কি? তদুপৰি, কমল হেনো কাঠ এডালৰ ওপৰত উঠি বৰনৈৰ মাজে মাজে উটি আহিছিল। এনে ল'ৰাৰে সৈতে নো সম্বন্ধ ঘটাব পাৰি নে? কেৱল লোক-হাঁহিয়াত হে হব। কিনো বোলে, 'উটি অহা ল'ৰা!' কমল সঁচাকৈয়ে উটি অহা ল'ৰা। কমলৰ ৰূপ-গুণ স্বভাৱ চৰিত্ৰ দেখি মোৰো তোমাৰ দৰেই ভাব হৈছিল। সঁচা কথা কবলৈ গলে, কমলৰ দৰে ল'ৰাৰ শাহু-শহুৰ হবলৈ পোৱা বৰ ভাগ্যৰ কথা। মই সেই কাৰণেই কৃষ্ণৰাম গোহাঞিক মতাই আনি তলে তলে সকলো কথাৰ সম্ভেদ ললোঁ। কিন্তু কি কৰিবা, লোক নিন্দা সহাটো বৰ টান কথা। বিশেষতঃ, মতা মানুহৰ ৰূপ লৈ ভাবিবৰ সকাম কি? এতিয়া আমি যি কথাৰ আলচ্ পাতিব খুজিছোঁ, তালৈ হলে প্ৰথমে মানুহৰ জাঁতিগুৰি বিচাৰিব লাগে, তাৰ পাচত তাৰ বৰ্ত্তমান অৱস্থালৈ চাব লাগে, লগতে ল'ৰাটিৰ স্বভাৱ-চৰিত্ৰলৈকো ভালকৈ মন কৰিব লাগে। এতিয়া সৰহ কথা চোবাবৰ সকাম নাই। মোৰ মনেৰে হলে, আমাৰ শূলধৰ বৰগোহাঞিৰ পুতেকটিকে ঠিক কৰোঁ। নহলেতো আৰু নাই। আৰু নো ক'তা? আন ল'ৰা কাকো নেদেখোঁ দেখোন। তুমি নো কেনে দেখা? ল'ৰাটি দেখিবলৈ যেনে কি নহওক, তাৰ স্বভাৱ-চৰিত্ৰ বৰ বেয়া নহয় বুলি মোৰ বিশ্বাস।"

ঘৈণী।—আপুনি হে বৰ ভাল উপায় কৰিলে! অ, বাছোঁতে বাছোঁতে গেলা-বৰালিত হাত পৰিলগৈ! সেই নাকটো এঠাইত, মুখখন এঠাইত, পেটুৱা ফেঁচাটোলৈ দি, মোৰ আইক জীয়া-জুইত পুৰি খাব খুজিছে নে? মই জীয়াই থাকোঁতে তেনে কথা কেতিয়াও হব নোৱাৰে। এ, হে, এনে নো ভাল স্বভাৱৰ ল'ৰাটি বিচাৰি পালেগৈ; তেওঁৰ প্ৰতাপত গাৱঁৰ বোৱাৰী-জীয়াৰী হে জানিবা ওলাব নোৱাৰে। আজি ৰাতিপুৱাও পূৰণৰ ঘৈণীয়েকে তেওঁৰ গুণৰ কথা যি হয় কৈ গৈছেহি! আপুনি বাহিৰত ফুৰিও এইবোৰ কথাৰ সম্ভেদ নাপায়! ঘৰতে বুঢ়ী হলেও, মই সেই ফেঁচাটোলৈ মোৰ লাহৰীক কেতিয়াও নিদিওঁ। আৰু, কমলৰ কথা যে কৈছিলোঁ, কমল যে অকল দেখিবলৈকে শুৱনি এনে নহয়, তেনে স্বভাৱৰ ল'ৰা মই আজিলৈকে ক'তো দেখা নাই। কমলৰ জাঁতিগুৰিৰ কথা যে কৈছে, সেইটো সঁচা হব পাৰে; কিন্তু, মই সিদিনা লাহৰীৰ মুখে শুনিলোঁ, কমল বোলে মৰাণ বুঢ়াগোহাঞি-ফৈদৰ শান্তিৰাম-গোহাঞি বৰুৱাৰ পুতেক। তেওঁ ৰুচিনাথ বুঢ়াগোহাঞিৰ অত্যাচাৰত ৰব নোৱাৰি নাৱেৰে ভটীয়াই আহিছিল, পিচে হেনো নাও বুৰি কোন্ ক'লৈ গল ঠিক নাইকিয়া হ'ল। এতেকে, লোকে যেই বোলক লাগে, আমিতো নিজে কমল সৎ বংশৰ ল'ৰা বুলি জানোঁ। তদুপৰি, কমলৰ প্ৰতি লাহৰীৰ কেনে ভাব হৈ উঠিছে, আপুনি একো বুজ নাপায়; মই ভালেমান দিনৰেপৰা মন কৰি আহিছোঁ। সৰুৰেপৰা দুইলৈ দুইৰো এনে আদৰ, এনে মৰম, এনে চেনেহ যে এটিৰ সলনি যেন আনটিয়ে মৰিব পাৰে। সিদিনা আপোনাৰ কথা মতেই লাহৰীক কমলৰে সৈতে কথা-বাৰ্ত্তা পাতিবলৈ হাক দিছোঁ। তাৰেপৰা ছোৱালীটিয়ে ভাত-পানী ভালকৈ খাবলৈ এৰিছে; সদায় শোক কৰি কৰি শুকাই গৈছে। এনে স্থলত কমলত বাজে আন কাৰোবাক পাত্ৰ স্থিৰ কৰিলে বৰ বিপদৰ আশঙ্কা। আমি লোকৰ—

কীৰ্ত্তিনাথ।—স্থিৰ হোৱাঁ, অলপ দকৈ আকৌ এবাৰ ভাবি চোৱাঁ। তোমালোকে, তিৰোতা মানুহ বুলিয়েই নে কি, বাহিৰৰ গণ্ডনালৈ সিমান নাভাবাঁ! তুমি কমলৰ কথা যিবোৰ কৈছাঁ, সেইবোৰ সঁচা হবও পাৰে। কিন্তু, তাক কোনে পতিয়াব? সকলোৱে মুখে মুখে কব, বোলে, সেই অমুকৰ ঘৰৰ ছোৱালীজনী নাম-গুৰি-নজনা উটি-অহা তোলনীয়া ল'ৰা এটালৈ দিলে! তদুপৰি, গাৱঁৰ সৰু-বৰ সকলোৱে নিন্দাব। কোনো মানুহৰ সবাহ-বিয়া আদিলৈ গলেও, নাম-গুৰি নথকা ল'ৰা বুলি পিচৰ শাৰীত হে ঠাই দিব। তেতিয়া নো মই কেনেকৈ সহিম? বাৰু, সেইটো মোৰ দুখ, মই সহিলোঁৱেই যেনিবা, তোমাৰ সেই আলসুৱা লাহৰীয়ে কৃষ্ণৰাম গোহাঞিৰ ঘৰত বোৱাৰী হৈ, ভুঁই-ৰোৱা, কঠীয়া-তোলা দেখি তুমি নো কেনেকৈ সহিবাঁ? তোমাক মই বহুত কথাত জনা-বুজা গৃহিণী বুলি জানোঁ, আজি নো কিয় এনে অবুজন হৈছাঁ কব পৰা নাই। লাহৰী আৰু কমল দুইবো প্ৰতি দুইবো যি মৰম-চেনেহৰ কথা কৈছাঁ, তাৰ-পৰা আজি তোমাক মই নিচেই আজলী হে বুলিছোঁ, এনে বয়সত যাৰে-তাৰে লগত তেনে ভাব হব পাৰে। নহলেও ল'ৰা-ছোৱালীৰ কথামতে বাট বুলিবলৈ হলে আমাৰ মান-মৰ্য্যাদাৰ ফালে চকু মুদিব লগাত হে পৰিব।

ঘৈণী।—মই নো আৰু তেন্তে কি কম! আপোনাৰ যি ইচ্ছা তাকে কৰক। কিন্তু, শূলধৰ বৰগোহাঞিৰ পুতেক ধনবৰ পেটুৱালৈ লাহৰীক মোৰ এই প্ৰাণ থাকেমানে কেতিয়াও নিদিওঁ, আপুনি ধ্ৰুপ্ জানিব।

কীৰ্ত্তিনাথ।—বাৰু, একো কথা নাই, তোমাৰ কথাই কথা। পিচে, ধনবৰৰ বাহিৰে আন এটি ল'ৰা বিচাৰি দিয়াঁ; মই হলে নাপালোঁ। আৰু, লাহৰীক যদি এই পামপুৰৰপৰা বাজ কৰি ৰংপুৰ বা আন কোনো দূৰণি ঠাইলৈ দিয়াঁ, তাকে হলেও কোৱা। পামপুৰ পাৰ হলেই, ভাল মানুহৰ ঘৰৰ ৰূপে-গুণে ভাল ল'ৰা পাবলৈ বহুত দুখ কৰিব নালাগিব; ইয়াতে বহি থাকিয়েই মই তাৰ দিহা কৰিব পাৰিম।

ঘৈণী।—তেন্তে মোৰ আৰু কবলৈ একো নাই; আপুনি যেনে ভাল দেখে তাকে কৰক। আৰু, ময়ো আকৌ এবাৰ ভাবি-চিন্তি চাওঁ বাৰু।

নৱম অধ্যায়

বিৰহ

বছৰেকৰ ছটা ঋতুৰ মাজত বসন্ত ঋতুৱেই সবাতকৈ শুৱনি আৰু মনোহৰ। সেই কাৰণে, এই ঋতুকে ঋতুৰাজ বোলা যায়। এই ঋতু ফাগুন মাহৰপৰা আৰম্ভ হৈ চ'ত মাহৰ সামৰণিলৈকে থাকে। সেই সময়তে প্ৰকৃতি দেৱীয়ে নতুন সাজ পিন্ধি মনমোহা শোভা ধৰে। আৰু, ফাগুন-চ'ত দুমাহ উলাহ মনেৰে নানা তৰহৰ ৰং-ধেমালি দেখুৱাই চ'তৰ শেহত পুৰণি বছৰক বিদায় দিয়াই লৈ যায় আৰু নতুন বছৰক আদৰি পঠিয়ায়গৈ। এই ঋতুত বনৰ চৰাই, পহু আৰু সকলো জীৱ-জন্তু মনৰ আনন্দত উলাহিত হৈ ফুৰে। এই ঋতুত মানুহেও বছৰৰ দুখ-ভাগৰ সকলো পাহৰি মনৰ আনন্দত উধাও হৈ ফুৰে। আৰু, এই ঋতুত গছ-গছনিবোৰে নতুন পাত-চোত্ ধৰি সুন্দৰী স্বভাৱৰ মনমোহা শোভা আৰু মনোহৰ কৰে। এই সময়তে প্ৰকৃতিৰ ৰীতি-নীতি অনুসৰি ফুল-কুঁৱৰীয়েও নিজৰ ফুলনি সজাই জকমকীয়া কৰে।—আজি সেই ফাগুন আৰু চ'তৰ দোমাহী। আজি সেই মনোময় বসন্ত ঋতুৰ ভৰপক্। আজি সেই বসন্ত ঋতুৰ সকলো শোভা যিমান বাঢ়িব পাৰে সিমান বাঢ়িছে। ইচ্ছাময়ৰ ইচ্ছা, প্ৰকৃতিৰ নিৰ্দ্দেশ; স্বভাৱৰ গতিক আৰু কোনে হকা-বধা কৰিব পাৰে! গতিকে, কীৰ্ত্তিনাথ গোহাঞিৰ পুখুৰীপাৰৰ সুন্দৰ ফুলনিয়েও আজি মনোহৰ শোভা ধৰিছে। পুখুৰীৰ চাৰিও পাৰে নানা তৰহৰ ফুল ফুলি ফুলনি জকমকীয়া হৈছে। জোপাৰ সৰু সৰু ধুনীয়া গছ-গছনিবোৰে নতুন কুঁহিপাত মেলি আৰু ৰঙা ৰঙা পাণৰ মাহীবোৰে কুমলীয়া পাত ধৰি সেই শোভাৰ অনুপম জেউতি চৰাইছে। মাজে মাজে সুমথিৰা টেঙা একো-জুপিয়ে দুটি-চাইটি ৰঙা সুমথিৰাৰে সৈতে অতি বিতোপন শোভা ধৰিছে। তাতে, আবেলি বেলিকা; পছিম ফালৰ

ৰঙা ৰ'দ পৰি গছ, ফুল আটাইবোৰ হেঙুলীয়াকৈ জক্‌মকীয়া কৰি তুলিছে। দূৰৈৰপৰা চাই পঠিয়ালে এনে হে লাগে, যেন আন্ধাৰ-পোহৰৰ সম্মিলনত অলৌকিক নিয়মেৰে দীপান্বিতাৰ চাকি হে জলিছে! সৰহ পৰ চাই থাকি আন ফালে চকু ঘূৰালে গোটেইখন ধুৰঁলি-কুঁৱলী যেন লাগে। তদুপৰি, ৰিব্‌ৰিবীয়া মলয়া বতাহে গা-মন শাঁত কৰি নিছে। সেই অনুভৱত মন-প্ৰাণ পমি যোৱা দি গৈছে! গোলাপ, মালতী, যুতি ইত্যাদি ফুলৰ গোন্ধ উৰি বাটৰুৱা মানুহৰো মন-প্ৰাণ শীতল কৰি তুলিছে। পাঠক, এনে সুখৰ সময়ত এই ফুলনিৰ ফুলকুৱঁৰী আমাৰ শান্তিময়ী লাহৰীৰ ফালে চাওক! লাহৰীৰ কি হৈছে?—আজি দেখোন লাহৰীয়ে ফুলনিৰ এনে অনুপম শোভালৈকো পিঠি দিছে। আজি দেখোন এনে নিৰ্ম্মল মলয়া বতাহতো লাহৰীৰ গাত চাটিফুটি লাগিছে। আজি দেখোন বাটৰ মানুহক মুগ্ধ কৰা ফুলৰ গোন্ধেও লাহৰীৰ ওচৰ চাপিব পৰা নাই। লাহৰীয়ে ইফালে-সিফালে হাত-ভৰি মাৰি চাটিফুটি কৰিব লাগিছে! চুলি তুলি মেলি লাহৰী বাউলীটি হৈছে! কান্দোতে কান্দোতে পদুম ফুলৰ পাহি যেন চকুৰ পাহিয়ে কেঁহেৰাজৰ বৰণ ধৰিছে! আজি নো আনন্দময়ী লাহৰীৰ এনে বিপৰীত দশা কিয়? আনদিনা যে লাহৰীয়ে সুফুলা ফুলকো এটি চুমা দি আহেগৈ! আনদিনা যে লাহৰীয়ে ফুলনিত সোমায়েই ফুলৰ ওচৰে ওচৰে গোন্ধ বিচাৰি ফুৰে! আজি দেখোন বতাহী কটকীয়ে যাচি দিয়া গোন্ধকো লাহৰীয়ে নিলগাই পেলাইছে! আজি আৰু লাহৰীৰ মনত একোকে ভাল নালাগে; শোকে, বেজাৰে হেঁচা মাৰি ধৰি লাহৰীক তলৰপৰা ওপৰলৈ মূৰ তুলিব নোৱাৰা কৰিছে। কেতিয়াবা অলপ মূৰ দাঙ্গি চাব খোজোঁতেই চাৰিওফালৰপৰা ফুলবোৰ গছে সৈতে হলাই আনি গাৰ ফালে হেন্দোলিওৱা দেখিলেই লাহৰীক শোকে খুন্দা মাৰি ধৰেহি, চকুৰ পানীয়ে ছাটি ধৰি একোকে নেদেখা কৰে। পাঠক! লাহৰীৰ চাটিফুটি আৰু বিষাদৰ কাৰণ কিবা বুজ পাইছে নে?—আজি লাহৰীৰ এনে কোমল প্ৰাণত বিৰহ-বতাহৰ আঘাত লাগিছে। আজি লাহৰীৰ বহুত দিনৰ আশাৰ বন্তি সেই বতাহত টিমিক্-টামাক্‌কৈ নুমাবলৈ ধৰিছে। সেই কাৰণে হে লাহৰীয়ে বিৰহৰ বিষম জঞ্জালত তৰণি নাপাই এনে চাটিফুটি কৰিছে। সেই দেখি হে লাহৰীয়ে জীৱন-বন্তি নুমোৱাৰ আশঙ্কাত বিমোৰ হৈছে!

পাঠক! লাহৰীৰ পোন্ধৰ বছৰ পাৰ হৈ যাওঁতেই আগৰ দৰে আৰু বাহিৰত ওলাই ফুৰিবলৈ আইতাকে তেওঁক ভিতৰি হাক দিলে; তেতিয়াৰেপৰা পুখুৰীপাৰৰ ফুলনিত ফুৰিবলৈ গাৱঁৰ ল'ৰা-ছোৱালীবিলাকো আহিবলৈ এৰিলে। গতিকে, লাহৰীৰ মৰমৰ কমলো নহাত পৰিল। কিন্তু, সেইবাবে লাহৰীৰ একো বেজাৰ-অসন্তোষৰ কথা নাছিল। কিয়নো, লাহৰীয়ে জানিছিল যে, আইতাকে লাহৰীৰ বয়স চাই হে বাহিৰলৈ ওলাব দিয়া নাই। তাৰ পাচতো ভালেমান দিনলৈকে লাহৰীৰ একো বেজাৰ নাছিল। কিয়নো, লাহৰীয়ে যি উদ্দেশে বাহিৰলৈ ওলাব লগাত পৰে, সেই উদ্দেশ্য ঘৰৰ ভিতৰত থাকিলেও সিদ্ধি হয়। কমলে সৰুৰেপৰা কীৰ্ত্তিনাথ গোহাঞিৰ ভিতৰলৈকে যায়, ভিতৰতে থাকেগৈ। লাহৰীৰ আইতাকেও কমলক এনে মৰম কৰিছিল যে, পাচলৈ কমলে জলপান খাবলৈ লাজ কৰক অস্তু, ভোক লাগিলেই নিজৰ মাকক খোজাদি খুজি খাবলৈ ধৰিলে। কমলেও লাহৰীৰ আইতাকক 'আইতা' বুলিয়েই মাতিছিল; আৰু লাহৰীৰে সৈতে কমল আইতাকৰ ওচৰত সততে ধেমালি কৰি থাকে। গতিকে, তেতিয়া লাহৰীৰ একো অভাৱ নাছিল। আজি দিন-চাৰেকৰপৰা মাথোন দেউতাকৰ আজ্ঞামতে লাহৰীৰ আইতাকে কমলক ভিতৰ সোমাবলৈ হাক দিছে। তেওঁ লাহৰীকো কৈ দিছে, কমলৰে সৈতে আগৰ দৰে কথাবাৰ্ত্তা নাপাতিবলৈ। পাঠক, ইয়াতকৈ নো আৰু লাহৰীক বেজাৰৰ কি ডাঙৰ কাৰণে পাব পাৰে! সেই আদেশ শুনা মাত্ৰকে লাহৰীক চাৰিওফালৰপৰা শোক, বেজাৰ আৰু বিপদৰ ভয়ঙ্কৰ মূৰ্ত্তিয়ে দেখা দিলেহি। সেই মুহূৰ্ত্তৰেপৰা আৰু দিনক-দিনে লাহৰীৰ শোক, বেজাৰ আৰু বিপদ বাঢ়ি হে আহিবলৈ ধৰিছে। যি লাহৰীয়ে কমলক সদায় চকুৰ আগতে পাবলৈ বিচাৰে, যি লাহৰীয়ে কমলক নেদেখাকৈ থাকিলে এপৰ বেলিকে এবছৰ যেন অনুভৱ কৰে, আজি

দুদিন কমলক নেদেখাকৈ তেওঁ কেনেকৈ আছে! পঢ়াশালি ভাগিবৰ সময় হলেই লাহৰীক বেজাৰে হেঁচি ধৰেহি, চকুৰ পানীয়ে বাট নেদেখা কৰে; আন উপায় নাপাই বাৰীৰ পিচফালে গৈ লাহৰীয়ে হেঁপাহ পলুৱাই কান্দি হে তৰণি পায়; তাৰ পাচত আৰু ঘৰত থাকিব নোৱাৰি পুখুৰীপাৰৰ ফুলনিত শোক-বেজাৰৰ দুৱাৰ মেলি দি একেবাৰে বাউলীটি হৈ বহি থাকেগৈ। হাঁয়, কালৰ কি বিচিত্ৰ গতি! যি ফুলনি লাহৰীৰ সুখৰ ঠাই, সেই ফুলনি আজি এনে দুখৰ কাৰণ হৈ উঠিল, সেই ফুলনিত লাহৰী আজি এনে বাউলী হব লগাত পৰিল! কিন্তু, অকল সেয়ে নহয়, বিপদৰ উপৰি আৰু বিপদ!—লাহৰীৰ দেউতাক আৰু আইতাকে সেই দিনা বিয়াৰ মন্ত্ৰণা কৰোঁতে লাহৰী টোপনি যোৱা নাছিল, দেউতাকে নো কি কথা কয়, তাকে শুনিবৰ মনেৰে মিছাকৈয়ে তেওঁ টোপনিৰ ভাও জুৰি আছিল। লাহৰীয়ে সেইদিনাৰ ৰাতিৰ মন্ত্ৰণা সকলো শুনিলে, শুনি, লাহৰীয়ে যাচি কিল খোৱাৰ দৰে আপোনা-আপুনি বিপদৰ উপৰি বিপদ চপাই ললে! আগেয়ে বিৰহ-চেপাত তৰণি নাপাই চাটিফুটিকে কৰিব পাৰিছিল, এতিয়া নিৰাশাৰ চেঁচুক সোঁতত উটি ঠেৰেঙ্গা লাগি লাহৰী একেবাৰে জঠৰ হৈ পৰিল। বিপদ অকলে কেতিয়াও নাহে হয়, কিন্তু সুকোমল লাহৰীৰ পক্ষে সেই নিয়ম লৰিব লাগিছিল! লাহৰীয়ে ইমান দিনলৈকে বিপদৰ ছঁয়াটোকো দেখা নাছিল। প্ৰথমবাৰ তাৰ আভাস পাওঁতেই যে লাহৰী আশঙ্কাত একেবাৰে অস্থিৰ হৈছিল, আজি বিপদৰ উপৰি ভয়ঙ্কৰ বিপদ উপস্থিত! ইমানত নো লাহৰীয়ে কেনেকৈ স্থিৰ থাকে! লাহৰীৰ কুমলীয়া হিয়াই যে এতিয়া ছিঁৰাল-ফটা দিব! এতিয়া নো বাৰু লাহৰীৰ সৰল হৃদয়পটৰপৰা কমল-ছবিটি একেবাৰে অনা সম্ভৱ নে? এই ছবিটি যে লাহৰীৰ নিৰ্ম্মল হিয়াত থাপনা কৰা আজি ভালেমান দিন হল। তাতে বহুত দিন থাকি থাকি যে ছবিটিও লাহৰীৰ হিয়াত লিপিতথাই লাগি ধৰিলে। এতিয়া আৰু সি লাহৰীৰ নিজৰ গাৰ অঙ্গ হোৱাদি হল। এতিয়া ছবিটি টানি একেবাৰে খুজিলে যে লাহৰীৰ কুমলীয়া হিয়া ফাটি-ছিটি যাব। অহঃ, লাহৰীয়ে সেই ৰাতি নিজ কাণে বিপদৰ কথা শুনিবলৈ পালে! ছবিটি একেবাৰে ওঁতে যে দুখ পাব আৰু লগতে হিয়া বিদৰি যাব, লাহৰীয়ে আজি সেই ভাবনাত কন্দা নাই; একেবাৰে ওঁতে যে ছবিটিও ফাটি-ছিটি নাশ পাব, সেই ভয়ে হে লাহৰীক এনে বাউলী কৰি তুলিছে। সেই কাৰণে হে আজি বসন্ত ঋতুৰ ভৰপকৰ দিনা আদৰৰ ফুলনিত ফুলি থকা ফুলবোৰৰ প্ৰতিও লাহৰীৰ এনে বিৰাগ ভাব উপস্থিত।

এইদৰে বাউলীটি হৈ কান্দি কান্দি দেখোন লাহৰী হঠাতে আকৌ সেই পোনেই টলকা মাৰি বল; আৰু তাৰ পাচত, কি জানো, কি কথা মনত লৈ গিৰিপ্ কৰে উঠি থিয় হল। অলপ পৰ ইফাল-সিফালকৈ চাই, তাৰ পাচত হাত দুখনি বুকুৰ ওপৰত পাতি লৈ দেখোন লাহৰীয়ে মিচি-কিয়া হাঁহি মাৰি লাহে লাহে খোজ লবাবলৈ ধৰিলে। চঁক খাই লৰ ধৰাৰ দৰে তাৰপৰা লাহৰীয়ে লৰি গৈ ফুলি থকা ফুল কেইজুপিৰ কাষ চাপিলেগৈ। তাৰ পাচত, আগৰ দৰেই প্ৰত্যেক জুপি ফুলৰে এপাহি-দুপাহিকৈ ফুলকলিয়ে সৈতে ছিঙ্গি আনি লাহৰী এটি জোপাৰ আঁৰত বহিলগৈ; তাতে দুধাৰি মালা গাঁথি লৈ লাহৰীয়ে আপুনি পিন্ধিলে; ইধাৰি দুই হাতে মানুহক পিন্ধাই দিবলৈ ধৰাদি ধৰি, ইফালে-সিফালে চাই, আতুৰ হৈ কবলৈ ধৰিলে, "কমল, কমল, মোৰ প্ৰাণেশ্বৰ কমল,—ক'তা।" এইবুলি লাহৰী আকৌ ঠৰ্ হৈ ৰ'ল।—অহঃ, লাহৰী আজি একেবাৰে উন্মাদিনী! তাৰ পাচত, লাহৰীয়ে "এইয়া মোৰ কমল, মোৰ প্ৰাণনাথ! পিন্ধাঁ, পিন্ধাঁ!" এইবুলি মালাধাৰ আপোনাৰ কণ্ঠতে আপুনি পিন্ধি ললে। অলপ পৰ থাকি দেখোন লাহৰীয়ে আকৌ কণ্ঠৰপৰা মালাধাৰি হাতত লৈ, আগৰ দৰে মানুহক পিন্ধাবলৈ লোৱাদি লৈ বিয়াকুল হৈ আকৌ কবলৈ ধৰিলে, "কমল, কমল, তুমি মোক বধিব খুজিছা? কমল, মোৰ প্ৰাণেশ্বৰ, তুমি আকৌ আঁতৰিলা? অ, নহয় কমল, পিন্ধাঁ, পিন্ধাঁ; মোৰে শপত, কমল, পিন্ধাঁ, পিন্ধাঁ।" এইবুলি বিতত্ হৈ থাকোঁতেই কমলে আচম্বিতে আহি মূৰ পাতি মালাধাৰি পিন্ধি ললে! বিধাতাৰ কি অলৌকিক মহিমা! কমলৰ নাম লওঁতেই কমল উপস্থিত! —লাহৰীৰে কিবা আকৰ্ষণী গুণ নে সৰল কমলেই সৰ্ব্বজ্ঞান? কিন্তু, হাঁয়, কমলে যে নিশ্চিন্ত হৈ ঘৰত বহি থাকিব

পাৰিছিল, এনে নহয়। লাহৰীৰ দৰেই কমলৰো কোমল হিয়া সেই একেটা বিৰহৰ চেপনিয়েই পেঁপুৱা লগাইছিল। বিৰহৰ বিষম চেপনি সহিব নোৱাৰি তেওঁ য'তে ত'তে চট্‌ফটাই ফুৰিব লগাত পৰিছিল। ভিতৰলৈ সোমাবলৈ মানা কৰি দিয়াৰ কাৰণে, কমলে কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰলৈ যাবলৈকে এৰিলে। এতিয়া কীৰ্ত্তিনাথ গোহাঞিৰ পিচবাৰীৰ ওচৰৰ বাটেদি অমাই-কমাই ফুৰোঁতে লাহৰীৰ মাত শুনি একে লৰে আহি তেওঁ সেই মালাধাৰি পিন্ধি লৈছেহি! লাহৰী একেই উন্মাদিনী, তাতে কমলক দেখা পাই বাউলীটি হল! লাহৰীয়ে একে লৰে গৈ কমলৰ ডিঙ্গিত সাবটি ধৰি কবলৈ ধৰিলে, "কমল, মোৰ প্ৰাণেশ্বৰ, তুমি ইমান পৰ কলৈ গৈছিলা? মই তোমালৈ বাট চাই কেতিয়াবাৰেপৰা ইয়াতে বহি আছোঁ নহয়, তুমি কলৈ গৈছিলা?" লাহৰীৰ তেনে আতুৰ অৱস্থা দেখি বিমোৰ কমল আৰু বিমোৰ হৈ পৰিল। অস্তত, কমলেও উন্মাদৰ দৰে থল্‌-থল্‌ কৰে হাঁহিবলৈ ধৰিলে। বাতুল হলেও, মুহূৰ্ত্তলৈ মাথোন; কমলে ততালিকে আকৌ স্থিৰ হৈ কবলৈ ধৰিলে, "লাহৰী, লাহৰী, স্থিৰ হোৱাঁ। এতিয়া ব্যাকুল হলে কি হব! মোৰ বহুত কথা সুধিব লগীয়া আছে। মই আৰু ইয়াত সৰহ পৰ থাকিব নোৱাৰিম, আইতাই দেখিলে তোমাক আকৌ খং কৰিব।" লাহৰীয়ে অলপ পৰ টলকা মাৰি থাকি কমলৰ কথা বুজিব পাৰিলে; বুজিলে, কিন্তু, তেতিয়াও ভালকৈ কথা পাতিব পৰা হোৱা নাই। তথাপি, কমল যে ফুলনিত সৰহ পৰ ৰব নোৱাৰিব, সেই কথা লাহৰীয়ে ভালকৈ বুজি উঠিলে। সেই কাৰণে পাৰ্য্যমানে ধৈৰ্য্য ধৰি, ভগা-ভগা মাতেৰে লাহৰীয়ে কবলৈ ধৰিলে, "কমল, মোৰ প্ৰাণ, মই থিৰ হৈছোঁ, মোক নো কি কথা সুধিব খুজিছা সোধাঁ। মোৰো বহুত কথা কব লগীয়া আছে। পিচে, কমল, এই অলপ সময়ৰ ভিতৰত কিনো কম!"

কমল।—এৰা, এনে অৱস্থাত আমাৰ একো কোৱা নহব। বাৰু, মই এটা উপায় দিওঁ;—তুমি যদি উপায় কৰিব পাৰাঁ, তেন্তে চিঠিৰেই মোক সকলো কথা জানিবলৈ দি থাকিব পাৰিবাঁ।

লাহৰী।—এৰা, হয়, ঠিক, বৰ ভাল উপায়, মই পাৰিম—

কমল।—(ইফালে সিফালে চাই) বাৰু, তেন্তে মই যাওঁ এতিয়া, লাহৰী! মোৰে শপত, তুমি এইদৰে বাউলীটি হৈ নাথাকিবাঁ দেই। নিয়তিৰ নীতি অৱশ্যে ফলিয়াব

এই কেইষাৰ কথা কৈয়ে কমল লৰালৰিকৈ আঁতৰ হল। কমলৰ শেহৰ কথাকিটি লাহৰীৰ মনত বৰকৈ লাগিল; তাকে তেওঁ টলকা মাৰি গুণিবলৈ ধৰিলে

দশম আধ্যা

ৰত্নেশ্বৰ ৰাজখোৱা

গুৱাহাটীৰ পুবফালে এখন গাৱঁত ৰত্নেশ্বৰ ৰাজখোৱা নামেৰে এজন ডেকা-মানুহ আছিল। মানুহটিৰ বয়স ডেৰকুৰি বছৰমান হব। তেওঁৰ দেউতাকে বৰফুকনৰ তলে ৰাজখোৱাৰ বিষয়-বাব পাইছিল, ধনে-বস্তুৰে তেওঁ বৰ চহকী মানুহ আছিল। দেউতাকৰ মৃত্যুৰ পাচত, সেই ধন-সম্পত্তি ককায়েক আৰু ৰত্নেশ্বৰৰ মাজত ভাগ-বঁটৰা হয়। ককায়েকজন মাহী-মাকৰ পুতেক। তেওঁৰ মাক মৰাৰ পাচত, ৰত্নেশ্বৰৰ মাক ঘাই গৃহিণী হৈছিল। গতিকে ৰত্নেশ্বৰৰ মাক জীয়াই থাকোঁতে ৰত্নেশ্বৰৰ ভাগবস্তু যে ককায়েকতকৈ সৰহ হব, তাক কোৱা বাহুল্য মাথোন। তদুপৰি, ৰত্নেশ্বৰৰ মাকে দেউতাকে নজনাকৈয়ো আৰু কিমান যে লুকাই ৰাহী কৰি থৈছিল তাৰ হিচাপ পাবলৈকে নাই। এই কথাত ককায়েকৰ বৰ বেজাৰ হল; তেওঁ ৰত্নেশ্বৰক সেই আপাহতে যিমান পাৰে খিয়াল কৰিবলৈ ধৰিলে। যাতে ৰত্নেশ্বৰৰ ধন ভাগে, সদায় তেওঁ তাৰ হে আলচ কৰা হল। ৰত্নেশ্বৰো আগৰেপৰা বৰ খৰচী ডেকা আছিল; মাক মৰাৰ পাচৰপৰা যে তেওঁৰ হাতৰ মুকলি মুঠিয়ে বান্ধ নোলোৱাই হল। সেইদৰে আধানাৰ্জ্জিকৈ ভগন কৰি দুই-চাৰি বছৰৰ ভিতৰতে ৰত্নেশ্বৰ ফচহুটো হৈ পৰিল। তথাপি, একেবাৰে তলি উদং হোৱা নাছিল; পাচলৈ তেওঁ গা চাই ভগন কৰিবলৈ ধৰিলে। তেওঁ মানুহটি বৰ চতুৰ আৰু বুধিয়ক আছিল; দেখিবলৈকো বৰ বেয়া নহয়। মুখখনি

চকুলামুৰা ; কিন্তু সেয়ে পকা থেকেৰা যেন ৰঙা। তেতিয়া-লৈকে তেওঁ বিয়া-বাৰু কৰোৱা নাই। বিয়া নকৰোৱাৰ আন কাৰণ বিশেষ একো নাছিল ; কেৱল মনেবছা ছোৱালী নোপোৱাত হে তেওঁ বিয়া নকৰায়। কত ঠাইত বিচাৰিলে, তথাপি তেওঁ মনোমত ছোৱালী নাপালে। সদোশেহত, নিৰাশ হৈ তেওঁ বিয়াকে নকৰাওঁ বুলি অঙ্গীকাৰ কৰিলে। সেই প্ৰতিজ্ঞাতে ধৰি প্ৰায় ছমাহমান বিয়াৰ কাৰবাৰ নকৰাকৈ তেওঁ বহি আছিল। এনে সময়তে এদিন কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰৰ ওচৰৰে এজন পামপুৰীয়া মানুহ তেওঁৰ আলহী হয়গৈ। আলহী মানুহ সোধা-পোছাত ৰত্নেশ্বৰ নামজ্বলা লোক আছিল। এই আলহীজনকো ভালকৈ আলপৈচান ধৰোৱাত তেওঁ যথাৰত যত্ন কৰিছিল। তাতে সন্তুষ্ট হৈ, ভাত-পানী খাই উঠি আলহীয়ে ৰত্নেশ্বৰে সৈতে সুখৰ কথা-বাৰ্ত্তা পাতিবলৈ ধৰিলে। কথা-প্ৰসঙ্গত আলহীজনে সুধিলে, "বোপা-দেউতাই, কিনো-ৰূপে-সৈতে মানুহ অনা নাই হবলা ?" ৰত্নেশ্বৰে হাঁহি মাৰি উত্তৰ দিলে, "এৰা, মই আৰু বিয়া নকৰাওঁৰেই বুলিছোঁ, দেও।"

পামপুৰীয়া।—সি কি কথা! কিনো-ৰূপে-সৈতে, আপোনাৰ নো কিহে নাটিছে। আপোনাৰ এনে সম্পত্তি নো, কিনো ৰূপে-সৈতে, কোনে খায় ? আপোনাৰ, কিনো-ৰূপে-সৈতে, মাক নাই, দেউতাক নাই, কিনো-ৰূপে-সৈতে, ঘৰখন সোনকালে পতা হে ভাল।

ৰত্নেশ্বৰ।—আলহী ভকত! সেইবোৰ কথা কলে আৰু কি হব! বিয়া কৰাবৰ মনেৰেই আজি বছৰেকে ইমান কাৰবাৰ কৰিলোঁ, তথাপি হৈ নুঠিল। এতিয়া আৰু বিয়াকে নকৰাওঁ বুলি অঙ্গীকাৰ কৰিলোঁ।

পামপুৰীয়া।—বোপা-দেউতাই, কিনো-ৰূপে-সৈতে, কয় কি! আপুনি কাৰবাৰ কৰিলে নো, কিনো-ৰূপে-সৈতে কোনে ছোৱালী নিদিব ? আপোনাৰ নো, কিনো-ৰূপে-সৈতে, ধনেই নাই নে বস্তুৰেই নাই নে, কিনো-ৰূপে-সৈতে, ৰূপেই নাই নে গুণেই নাই! নহয়, বোপা-দেউতা, আপুনি, কিনো-ৰূপে-সৈতে, ঘৰখন পাতিব হে লাগে।

ৰত্নেশ্বৰ।—নহয়, আলহী ভকত! তুমি বুজা নাই। মই আজি বছৰেকে ছোৱালী বিচৰাই মোৰ মনেবছা ছোৱালী নাপালোঁ।

পামপুৰীয়া।—অঃ, কিনো-ৰূপে-সৈতে, তাকে নকয় কিয় ? বোপা-দেউতা, সেইটো কথাৰ ভাৱ, কিনো-ৰূপে-সৈতে, মই লগোঁ। আমাৰ গাৱঁত, কিনো-ৰূপে-সৈতে, কীৰ্ত্তিনাথ গোহাঞিৰ লাহৰী নামেৰে, কিনো-ৰূপে-সৈতে, ছোৱালী এটি আছে, কিনো-ৰূপে-সৈতে, বোপা-দেউতা, কি কম! মই ডাঠকৈ কওঁ, কিনো-ৰূপে-সৈতে, আপুনি কেতিয়াও নিদাব নোৱাৰে। আৰু, ছোৱালীটিও, কিনো-ৰূপে-সৈতে, আপোনাৰ হে লায়েক!

ৰত্নেশ্বৰ—এ, আলহী ভকত! তোমাৰ দৰেই কিমানে কৈছিল! পিচে, যিমান দেখিলোঁমানে, মোৰ চকুত নালাগিল।

পামপুৰীয়া।—বাৰু, বোপা-দেউতা, কিনো-ৰূপে-সৈতে, মোৰ কথাটোকে চাওক। যেতিয়া দেখিব, কিনো-ৰূপে-সৈতে, তেতিয়াহে কব, বোলে, কিনো-ৰূপে-সৈতে, সেই গেদ্ধেলাটোৱে কি কৈছিল।

ৰত্নেশ্বৰ।—বাৰু, তেন্তে আলহী ভকত! তোমাৰ কথা মতেই আকৌ এবাৰ চোৱা যাব। তুমি নো ঘৰলৈ কেতিয়া উলটিবা ?

পামপুৰীয়া।—মই নে বোপা দেউতা ? মই কিনো-ৰূপে-সৈতে, কাইলৈ দিনটো ইয়াতে থাকিম। পৰহিমানলৈ হে, কিনো-ৰূপে-সৈতে, ঈশ্বৰৰ কিৰ্পাত যোৱা হব।

ৰত্নেশ্বৰ।—এৰা, তোমাৰ লগতে যাব পাৰিলে হওঁতে বেয়া নহয়। তুমি দেখুৱাব পাৰিবা জানো ?

পামপুৰীয়া।—হয়, দেউতা, কিনো-ৰূপে-সৈতে, মোৰ লগতে ওলাওক। আজিকালি হওঁতে, কিনো-ৰূপে-সৈতে, ছোৱালীটি বাহিৰলৈ নোলায়। তথাপি, কিনো-ৰূপে-সৈতে, তালৈ গৈ এটা উপায় কৰিব লাগিব।

ৰত্নেশ্বৰ।—তেন্তে সেয়ে ঠিক হ'ল। মই তোমাৰ লগতে পৰহিলৈ পামপুৰলৈ যাম।

এইবোৰ কথা-বাৰ্ত্তাৰ পাচত দুয়ো শুবলৈ গল। যথা সময়ত ৰত্নেশ্বৰে পামপুৰলৈ যাত্ৰা কৰিলে। পামপুৰত তেওঁ সেই 'আলহী ভকত'ৰ ঘৰতে আলহী হলগৈ। চাৰি-পাঁচ

দিনলৈকে কাৰ্য্য সিদ্ধি হোৱা নাছিল। তাৰ পাচত, এদিন লাহৰীয়ে আগৰ দৰেই গৈ পুখুৰীৰ পাৰৰ ফুলনিত মনৰ বিষাদত গালত হাত দি, আমনজিমনকৈ উদাসভাৱে বহি আছে, অন্তৰৰ বিষাদে বাহিৰত সুন্দৰী লাহৰীৰ সুন্দৰ ৰূপ আৰু সুন্দৰ কৰি তুলিছে! এনেতে, ৰত্নেশ্বৰে 'আলহী ভকত'ৰে সৈতে গৈ চকোৱাৰ সুৰুঙাই দি লাহৰীক জুমি চাবলৈ ধৰিলে। ৰত্নেশ্বৰে দেখিয়েই বিমোহিত হৈ বিত্‌ত-ভাৱে পামপুৰীয়াৰ ফালে চালে। এনে মোহিনী মূৰ্ত্তি তেওঁ আগেয়ে ক'তো দেখা নাছিল। ৰত্নেশ্বৰে আনন্দত আশাভৰা মিচিকিয়া হাঁহি মাৰি 'আলহী ভকত'ক কলে, "আলহী ভকত! তোমাৰ কথা ঠিক। সঁচাকৈয়ে, এনে সুন্দৰী ছোৱালী মই ক'তো কেতিয়াও দেখা নাই।" এই বুলি ৰত্নেশ্বৰে আকৌ জুমিবলৈ ধৰিলে। 'আলহী ভকত'ৰো আনন্দ মিলিল; ভাবিলে যে, এই চলতে তেওঁ টকাচাৰেক সৰকাব পাৰিব। ইয়াকে ভাবি তেওঁ ফুটাই কবলৈ ধৰিলে, "বোপা-দেউতা, মই কোৱা কথাত, কিনো-ৰূপে-সৈতে, কিমান মূইল্ আছে, ভাবি চাওক।" ৰত্নেশ্বৰে ঘনে ঘনে জুমি চায়; আৰু মাজে মাজে মাত লগায়, আৰু একোবাৰ 'আলহী-ভকত'ৰ কথালৈ কাণ দিয়ে। ভকতে হাঁহি হাঁহি কলে, "এতিয়াও কিনো-ৰূপে-সৈতে, চকুৰ তিৰ্‌পিতি কিনো-ৰূপে-সৈতে, পূৰ হোৱা নাই নে বোপা দেউতা? কিনো-ৰূপে-সৈতে, আহক আৰু; মানুহে দেখিলে, কিনো-ৰূপে-সৈতে, বেয়া বুলিব।"

ৰত্নেশ্বৰ।—"এৰা, নাচাওঁ আৰু, বলা আলহী-ভকত, বলা।" এই বুলিও আকৌ দুবাৰ জুমি চায়!

সন্দোশহত, দুয়ো ঘৰৰ ফালে খোজ ললে। যাওঁতে যাওঁতে বাটে বাটে দুয়ো ছোৱালী খোজা-বঢ়াৰ আলচ পাতি গৈ আছে, এনেতে পামপুৰীয়াই মাত লগালে, "এতিয়া বোপা-দেউতা, কিনো-ৰূপে-সৈতে, আমাৰ ফালেও অলপ, কিনো-ৰূপে-সৈতে, চাব লাগে নহয়।"

ৰত্নেশ্বৰ।—অ, সঁচা, মই কেতিয়াও অগুণকাৰী নহওঁ। তুমি যেনে কাম কৰিলা, তেনে বঁটাও পাবা।

পামপুৰীয়া।—হয়, বোপা-দেউতা, মই কিনো-ৰূপে-সৈতে, এই কেদিনতে আপোনাক, কিনো-ৰূপে-সৈতে, ভালকৈ চিনিলোঁ। এতিয়া, কিনো-ৰূপে-সৈতে, আমাৰ কাম ফেৰা সিদ্ধি হলেই হয়।

ৰত্নেশ্বৰ।—এৰা, এৰা, এতিয়া আৰু বহি থকাৰ সকাম নাই। তুমি আৰু অলপ কাম কৰি দিব লাগিব দেই।

পামপুৰীয়া।—ভাল, বোপা-দেউতা, কিনো-ৰূপে-সৈতে, মই আৰু দুখীৰ দুখী অৱস্থাৰে, কিনো-ৰূপে-সৈতে, যি পাৰোঁ কৰি থাকিম।

ৰত্নেশ্বৰ।—একেবাৰে খোজা-বঢ়া আদি ঠিক্‌ঠাক্ কৰি হে ঘৰলৈ উলটিম, কি বোলা?

পামপুৰীয়া।—এৰা, কিনো-ৰূপে-সৈতে, ভাল কৈছে। পলম কৰাৰ আৰু, কিনো-ৰূপে-সৈতে, সকাম নাই; কাইলৈ বা পৰহিলৈ, কিনো-ৰূপে-সৈতে, ছোৱালী খুজিবগৈয়ে লাগে। বাৰু, কিনো-ৰূপে-সৈতে, তাৰ দিহা কৰা যাব।

এইদৰে কথা-বাৰ্ত্তা পাতি যাওঁতে যাওঁতেই দুয়ো পামপুৰীয়াৰ ঘৰ সোমালগৈ। কিন্তু, লাহৰীৰ ৰূপত মুগ্ধ, ৰত্নেশ্বৰৰ মন কীৰ্ত্তিনাথ গোহাঞিৰ লাহৰী-ফুলনিতে বন্দী হৈ ৰৈ গল। তাৰ পাচত, ৰত্নেশ্বৰে কল্পনা-চকুৰে লাহৰীৰ ৰূপ-লাৱণ্যৰ জেউতি চৰাই চাই চাই, মনে-পতা সংসাৰ-সাগৰত ওপঙিবলৈ ধৰিলে!

একাদশ আধ্যা

খোজা-বঢ়া

ৰাতি ভাত-পানী খাই উঠি ৰত্নেশ্বৰ শুবলৈ গ'ল। কিন্তু, তিনিখনমান তামোল খাবৰ পৰলৈকে তেওঁ মনেপতা নতুন সংসাৰত সুখৰ ঘৰ সাজি চাওঁতে চাওঁতে চকু জাপ নোযোৱা হল। তেওঁ মনৰ কথা ব্যক্ত কৰি হৃদয় শাঁত কৰিবৰ উদ্দেশ্যে উঠি আহি পামপুৰীয়াক মাতিলে। তেৰোঁ শুই-ছিলগৈ মাথোন; ৰত্নেশ্বৰৰ মাত শুনি তেওঁ উঠি আহিল। তাৰ পাচত, দুপৰমান ৰাতিলৈকে দুয়ো বহি বিয়াৰ বিষয়ে নানা তৰহৰ আলচ পাতিবলৈ ধৰিলে। পাচলৈ পামপুৰীয়াৰ টোপনি অহাত, কথা পাতি থাকোঁতেই তেওঁ জপৰ্-জপৰ্ টোপনিয়াবলৈ ধৰিলে। সন্দোশহত, অসহনি পাই পাম-পুৰীয়াই কলে, "বোপা-দেউতা, কিনো-ৰূপে-সৈতে, মই

শোওঁগে হে এতিয়া, যি কথা পাতিব লাগে, কিনো-ৰূপে-সৈতে, কাইলৈ দিনটো আছে।" এই বুলিয়েই পামপুৰীয়া ভিতৰলৈ সোমাই গ'ল। ৰত্নেশ্বৰ অপ্ৰস্তুত হৈ উঠি আহি আকৌ শোৱাপাটীত পৰিল। কিন্তু, তেওঁৰ চকুত টোপনি নাই। আকাশত চাং পতা কথাৰ টোপোলা মেলি লৈ তেওঁ তাৰ কাম সামৰিব নোৱাৰাত পৰিল! বিয়া নো কেনেকৈ হব, বিয়ালৈ কাক কাক কি নিয়মেৰে নিমন্ত্ৰণ কৰিব, তাৰ পাচত বিয়া হৈ গলে লাহৰীক কেনে সুখেৰে ৰাখিবগৈ ইত্যাদি সুখৰ কল্পনাত ভোল গৈ শেহৰাতিলৈকে ৰত্নেশ্বৰৰ টোপনি নাই; পূৰ্বতী নিশা মূঠেই চিল্‌মিল্‌কৈ এঘুমটি আহিছিল। মানুহক সুখৰ বা দুখৰ চিন্তাই পালে সকলোৰে এনে গতি! তাতে, ৰত্নেশ্বৰক লাহৰীৰ মোহিনী মূৰ্ত্তিয়ে একেবাৰে বিমোহিত কৰি থৈছে। পিচদিনা শুই উঠিয়েই ৰত্নেশ্বৰ আকৌ পামপুৰীয়াৰে সৈতে মন্ত্ৰণাত বহিল। ৰত্নেশ্বৰে নো ৰাতিৰেপৰা দিনৰ দুপৰলৈকে কিমান কথা পাতিলে তাৰ অন্ত নাই। তথাপি, কথাৰ অন্ত নপৰে, আজি ৰত্নেশ্বৰ কথাৰ সাগৰ। কিন্তু, কথা সেই একেবুৰিয়েই, তাকে পাগুলি থাকিয়েই ৰত্নেশ্বৰৰ মনত সুখ-শান্তিয়ে নধৰা হৈছে! পামপুৰীয়াৰ শুনোতে শুনোতে আমনি লগাত পৰিল। সেই একে কথাকে পাতি থাকিবলৈ পালেই ৰত্নেশ্বৰ আনন্দত ফুলি থাকে, কথাৰ অন্ত পৰিলেই উগুল-থুগুল ভাবত তেওঁ অস্থিৰ হৈ পৰে। তেতিয়া এটা মুহূৰ্ত্তেই যেন নাযায়-নুপুৱায়, তেওঁৰ মানত এনে হে লাগে। দুখে-সুখে যেনে-তেনেকৈ সেই দিনটো গ'ল, আকৌ ৰাতি আহিল। সেই ৰাতি পামপুৰীয়াই কথা শুনাৰ ভয়ত গধূলিতে জ্বৰ বুলি শুই থাকিলগৈ। ৰত্নেশ্বৰ ভাত ৰান্ধিবলৈ বহিল। কিন্তু, কিনো ৰান্ধিছে, কিনো বাটিছে, তেওঁৰ গাত বিশেষ গম্ নাই। চৰুত তেল দি ইফালে কিবা ভাবোঁতে তালৈ পাহৰিলেই, যেতিয়া তেলত জুই উঠি ভম্‌ভম্‌কৈ জ্বলিবলৈ ধৰিলে, তেতিয়া হে তেওঁৰ গাত হুঁচ্ আহিছে! লৰালৰিকৈ বাটি এটাৰে সৈতে ঢাকোন দি জানিবা কোনোমতে ঘৰত জুই নলগাকৈ ৰাখিলে। তাৰ পাচত, আৰু আঞ্জা ৰান্ধিবলৈ কাৰবাৰ কৰা নহল; শুদাই-নিকাই দুগৰাহমান খাওঁ বুলি তেওঁ খাবলৈ বহিল। স্বপ্নপাৰ্থত, আজি ৰত্নেশ্বৰৰ মানত বাৰখন আঞ্জাৰে খোৱাও যেনে, লোণ চেলেকি শুদা ভাত খোৱাও তেনে। এইদৰে ভাত খাবলৈ ধৰি এগৰাহ বা দুগৰাহ মাৰিয়েই সেই পোনেই তেওঁ আকৌ টলকা মাৰি ৰয়; একোবাৰ ওপৰলৈ চাই থাকোতে ভাত বিচাৰি মাটিতে খেপিয়াবলৈ ধৰে! এইদৰে খাওঁতে খাওঁতে ৰত্নেশ্বৰে ভাত অন্ত কৰি আকৌ কাঁহী চেলেকিবলৈ ধৰিলে। তাৰ পাচত, মুখ নোধোৱাকৈয়ে ভাবৰ পাকত ঘূৰি ৰত্নেশ্বৰ আহি শোৱা ঠাই পালেহি! তেতিয়া হে আকৌ মনত কৰি তেওঁ মুখ ধুই আহিছেগৈ। ভাত খোৱা হ'ল, কিন্তু মুহদি আৰু নহ'ল। সেইভাগেই ৰত্নেশ্বৰ শোৱাপাটীত পৰিলগৈ। এই ৰাতিও তেওঁৰ কেনেকৈ গ'ল, তাক সহজে অনুমান কৰিব পাৰি। আগ-ৰাতিও টোপনি নাই, সেই ৰাতিও টোপনিয়ে ৰত্নেশ্বৰৰ ওচৰ চাপিব নোৱাৰিলে। পিচদিনা ৰাতিপুৱাই ছোৱালী খুজিবলৈ যাবলৈ খৰ্‌ধৰ্ লগাই, ৰত্নেশ্বৰ পামপুৰীয়াৰে সৈতে আকৌ মন্ত্ৰণাত বহিল।

ৰত্নেশ্বৰ।—আলহী ভকত! এই বেলাই ছোৱালী খুজিবলৈ যোৱা হওক, কি বোলাঁ?

পামপুৰীয়া।—নহয়, বোপা-দেউতা, কিনো-ৰূপে-সৈতে, ভাত-পানী খাই গলে হে ভাল।

ৰত্নেশ্বৰ।—নহয়, আলহী ভকত! সেইবোৰ ফাংফুং নকৰিবা আৰু, বুজিছা নে। মই এই বেলাতে যাবলৈকে স্থিৰ কৰিলোঁ। এতিয়া, লগত কোন্ কোন্ যাব সেইটো মাথোন স্থিৰ কৰাঁ।

পামপুৰীয়া।—বাৰু, তেন্তে, কিনো-ৰূপে-সৈতে, এতিয়াই যাব লাগে। লগত আৰু, কিনো-ৰূপে-সৈতে, কোন্ যাব? সৰহকৈ মানুহৰ, কিনো-ৰূপে-সৈতে, কি সকাম? আপুনি যাব আৰু, কিনো-ৰূপে-সৈতে, মই যাম। আপুনি মূঠে, কিনো-ৰূপে-সৈতে, বহি থাকিব; যি কব লাগে, কিনো-ৰূপে-সৈতে, সকলো কথা মই কম।

ৰত্নেশ্বৰ।—হয়, তেন্তে আলহী ভকত! পলম নকৰিবা আৰু, উঠাঁ উঠাঁ। মোৰে শপত কাপোৰ-কানি পিন্ধাগৈ, উঠাঁ।

লৰালৰিকৈ সাজু হৈ দুয়ো ছোৱালী খুজিবলৈ খোজ

ললে। বাটে-বাটে যে ৰত্নেশ্বৰৰ মন কি হৈছিল, ক'ত আছিলগৈ আমি বুজিম কি, তেওঁৱেই কব নোৱাৰে। যথা-সময়ত ৰত্নেশ্বৰ আৰু পামপুৰীয়া কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰ পালেগৈ। বেটী ছোৱালী এজনী আহি ৰত্নেশ্বৰক কঠ এটা আৰু পামপুৰীয়াক ঢাৰি এখন বহিবলৈ পাৰি দিলেহি। পামপুৰীয়াই বহিয়েই বেটী ছোৱালীজনীক সুধিলে, "হেৰ, আহিনী, ডাঙৰীয়া-দেউতা, কিনো-ৰূপে-সৈতে, ঘৰত আছে নে? আছে যদি, কগৈ যাচোন, বুলি, কিনো-ৰূপে-সৈতে, গুৱাহাটীৰপৰা ভাল মানুহ এজন, কিনো-ৰূপে-সৈতে, ডাঙৰীয়া-দেউতাক দেখা কৰিবলৈ আহিছে।" বেটী ছোৱালীজনীয়ে ভিতৰলৈ গৈ কীৰ্ত্তিনাথ গোহাঞিক এই কথা জনালেগৈ। কীৰ্ত্তিনাথ গোহাঞিয়ে ভিতৰত ঘৈণীৰে সৈতে লাহৰীৰ বিয়াৰ বিষয়ে আলচ পাতি আছিল। অলপ পাচত ডাঙৰীয়া ওলাই আহি এখন মেৰঢাৰিত বহিল। বহিয়েই, তেওঁ পামপুৰীয়াক সুধিলে, "এওঁনো কোন্? এওঁক মই আৰু এদিন ক'ৰবাত দেখিছিলোঁ।" পামপুৰীয়াই ৰত্নেশ্বৰৰ আঁতি-গুৰি ভাঙ্গি সকলো কথা কবলৈ ধৰিলে। কথা প্ৰসঙ্গত সুবিধা উলিয়াই পামপুৰীয়াই ৰত্নেশ্বৰলৈ আঙুলিয়াই কলে, "এওঁ বোপা-দেউতা, কিনো-ৰূপে-সৈতে, ডাঙৰীয়া দেউতাৰ এখেত কিবা এটি সকামত হে আহিছে।" কীৰ্ত্তিনাথ গোহাঞিয়ে ৰত্নেশ্বৰৰ ফালে ঘূৰি সুধিলে, "বোপাৰ নো কি সকাম আছিল? মই তোমালোকৰ ঘৰৰ কথা জানোঁ; আমি গুৱাহাটীত থাকোঁতে তোমাৰ দেউতাৰৰে সৈতে মোৰ আলাপ-পৰিচয় আছিল।"

ৰত্নেশ্বৰ।—আমাৰ কবলগীয়া সকলো কথা ডাঙৰীয়াক এওঁ ককায়েই কওক।

অনুমতিৰ সুবিধা পোৱা মাত্ৰকে পামপুৰীয়াই সকলো কথা ভাঙ্গি-পাতি কবলৈ ধৰিলে। অলপ পৰ থামি আকৌ কলে, "ডাঙৰীয়া-দেউতা, বোপা-দেউতাৰ ঘৰৰ ফালে, কিনো-ৰূপে-সৈতে, কবই নেলাগে;-মই অলপতে গুৱাহাটীলৈ যাওঁতে, কিনো-ৰূপে-সৈতে, এওঁৰ ঘৰ-বাৰী সকলো নিজে দেখি আহিছোঁ। মোৰ কথা নপতিয়ালেও কিনো-ৰূপে-সৈতে, ডাঙৰীয়া-দেউতাই মানুহ পঠিয়াই, কিনো-ৰূপে-সৈতে, চোৱাবও পাৰে।"

কীৰ্ত্তিনাথ।—তেওঁৰ ঘৰৰ কথা তুমি কব নালাগে; ময়ো নিজেই জানোঁ আৰু দেখিছোঁ। কিন্তু, মাকক সুধিলে হে কব পাৰোঁ। বাৰু, তোমালোক খন্তেকমান বঁহা; মই বেগতে ভিতৰত সুধি আহোঁগৈ।

এই বুলি কীৰ্ত্তিনাথ গোহাঞি ভিতৰলৈ উঠি গল। ঘৈণীৰ ওচৰলৈ গৈ তেওঁ এই বুলি কবলৈ ধৰিলে, চোৱাঁ এতিয়া, মই নকৈছিলোঁ, বোলোঁ গুৱাহাটী বা আন ঠাইত স্থিৰ কৰিবলগীয়া হলে, ভাল মানুহৰ ভাল ল'ৰাৰ বৰ অভাৱ নাই। সৌটি চোৱাঁ, আমাৰ, কি নাম বোলে পাহৰিছোঁ, ৰাজখোৱাৰ পুতেক, মই তেওঁৰ দেউতাকৰ নাম পাহৰিছোঁ, লাহৰীক খুজিবলৈ আহিছে। তুমি এতিয়া কি বোলাঁ? মই হলে ভাল দেখিছোঁ।

ঘৈণী।—(ৰত্নেশ্বৰক জুমি চাই) ল'ৰাটি হলে বেয়া নহয়। তথাপি, মই সিমান দূৰৈলৈ দিব নোৱাৰোঁ।

কীৰ্ত্তিনাথ।—তোমাক আৰু এনে লৰালি কথাই নেৰিলে! জীয়াৰী ছোৱালী তুমি সদায় বুকুত লৈ থাকিবলৈ পাবা নে কি? নাই, তুমিয়েই হে ছোৱালী উলিয়াই দিব লগাত পৰিছে, আন কোনেও ছোৱালী বিয়া দিয়াই নাই নে?

ঘৈণী।—ডাঙৰীয়া! মোক যেই বোলক, মই মোৰ একেটি পোনাক সিমান দূৰৈলৈ দিব নোৱাৰোঁ; ভাল হওক, বেয়া হওক, মই আপোনাৰ আগৰ কথাতে মান্তি হৈছোঁ; যি হওক, ওচৰতে ধনবৰলৈকে দিব লাগে।

কীৰ্ত্তিনাথ।—তুমি আৰু দিনে দিনে কেঁচুৱা হৈ হে আহিছা। যেই-সেই কথা—

ঘৈণী।—মোৰে শপত, ডাঙৰীয়া, মোক আৰু সেইবোৰ কথা একো নুসুধিব। মই কেতিয়াও সিমান দূৰৈলৈ নিদিওঁ। লোকৰ মানুহ অনাহকত ৰখাই থোৱাৰ সকাম নাই; যাওক যাওক, সোনকালে বিদায় দিয়কগৈ।

কীৰ্ত্তিনাথ।—অলপ কথাতে ইমান ব্যাকুল হোৱাঁ কিয়; স্থিৰ হোৱাঁ। মোৰ কথা শুনা—

ঘৈণী।—মই আৰু স্থিৰ হবলৈ নাই; যি কৈছোঁ, মই স্থিৰ হৈয়ে কৈছোঁ। মোক নবধিব ডাঙৰীয়া! আপোনাৰ চৰণত ধৰি মাতিছোঁ।—এই বুলি তেওঁ কান্দিবলৈ ধৰিলে।

কীৰ্ত্তিনাথ গোহাঞি নিৰুপায়! তেওঁ মৰমৰ ভাৰ্য্যাক বেজাৰ দিয়া হে নালাগে, তেওঁক নোসোধাকৈ কোনো এটা কামকে নকৰে। অগত্যা, তেওঁ ৰত্নেশ্বৰক বিদায় দিবলৈকে ওলাই আহিল। ইফালে ৰত্নেশ্বৰৰ প্ৰাণত তৰণি নাই; কীৰ্ত্তিনাথ গোহাঞি ওলাই অহাত পলম হবৰ দেখি তেওঁ উগুল-থুগুল ভাবত ভিতৰি অস্থিৰ হৈ পৰিছিল। কীৰ্ত্তিনাথ গোহাঞি ওলাই অহাত, তেওঁৰ মুখ দেখিয়েই ৰত্নেশ্বৰে বুজিলে যে, তেওঁ যি আশঙ্কা কৰিছিল জানোবা ঠিক সেয়েই হল! কীৰ্ত্তিনাথ গোহাঞিয়ে বিমৰ্ষভাৱে থিয়ৈ-থিয়ৈ কবলৈ ধৰিলে, "বোপা! সকলো মিছা হল; মই তোমালোকক ৰথাই থৈ অনাহকত কষ্ট হে দিলোঁ। মাকৰ ইচ্ছা নাই, মই কি কৰিম।" এই কথা শুনিয়েই ৰত্নেশ্বৰ একেবাৰে নিৰাশাত সেই পোনেই শেঁতা পৰি গল। কিনো কব, কিনো নকব, একো স্থিৰ কৰিব নোৱাৰা হৈ পৰিল। তাৰ পাচত, পামপুৰীয়াই মাত লগালে, "ডাঙৰীয়া-দেউতা, কিনো-ৰূপে-সৈতে, বহকচোন। আপুনি নো, কিনো-ৰূপে-সৈতে, কি কামটো কৰিলে। আকৌ ভালকৈ এবাৰ, কিনো ৰূপে-সৈতে, ভাবি চাওক। মাকে আৰু, কিনো-ৰূপে-সৈতে, ছোৱালী উলিয়াই দিবই নোখোজে, সেই বুলি, কিনো-ৰূপে-সৈতে, আপুনিও সেই কথাতে ভিৰ দিব নে? মই হলে কৈছোঁ, কিনো-ৰূপে সৈতে, এনেটি দৰা পোৱা টান হব।"

কীৰ্ত্তিনাথ।—সেইবোৰ কথা কলে আৰু কি হব? মাকৰ মন নহলে মই এনে কাম কৰিব নোৱাৰোঁ। বোপা, বেয়া নাপাবাঁ, যোৱাঁ আৰু, মই কি কৰিম!

এই সমিধান পোৱা মাত্ৰকে ৰত্নেশ্বৰে একেচাবে উঠি, পামপুৰীয়াক তাতে এৰি ভোঁ-ভোঁ কৰে গুচি গল। তাৰ পাচত, পামপুৰীয়ায়ো লাহেকৈ উঠি ঘৰৰ ফালে খোজ ললে। ঘৰত পামপুৰীয়াই দেখেগৈ দেখোন, ৰত্নেশ্বৰ তেওঁৰ ঘৰলৈ উলটিবলৈকে ওলাইছে। পামপুৰীয়াক দেখিয়েই, ৰত্নেশ্বৰে ৰূপ তিন টকা বঁটা স্বৰূপে দি কলে, "পামপুৰীয়া, মোৰ আৰু ইয়াত সৰহ পৰ থাকিবৰ মন নাই। মই এতিয়াই যাওঁগৈ, তোমাক সৰহ দিব নোৱাৰিলোঁ। পাচে হে যি পাৰোঁ দিম; এতিয়াও তোমাৰ কাম আৰু আছে। মই এতিয়া ঘৰলৈ যাওঁ, তাৰ পাচত মোক কিছুমান কথাত তুমি সহায় কৰিব লাগিব।" টকা পাই পামপুৰীয়াৰ আনন্দত ঠাই নাইকিয়া হল। তেওঁ ভালৰি লগাই ৰত্নেশ্বৰক কবলৈ ধৰিলে, "বোপা-দেউতাই নো, কিনো-ৰূপে-সৈতে, মোক কব লাগিছে নে! এতিয়া, ভাত দুটামান খাই যোৱা হলে, কিনো-ৰূপে-সৈতে ভাল আছিল।"

ৰত্নেশ্বৰ - মোক আৰু নধৰিবাঁ ককাই! পামপুৰ পাৰ নহওঁমানে গাকে নোধোওঁ। বেয়া নাপাবাঁ, মই এতিয়া আহোঁ হে।"

ইয়াকে কৈ বেগাবেগিকৈ ৰত্নেশ্বৰে ঘৰৰ ফালে খোজ ললে। পামপুৰীয়ায়ো ভিতৰলৈ সোমাই গৈ ঘৈণীয়েকৰ আগত সাধুকথা কোৱাৰ দৰে ৰত্নেশ্বৰৰ ছোৱালী-খোজা কথা বৰ্ণাবলৈ ধৰিলে।

ইফালে কীৰ্ত্তিনাথ গোহাঞি আৰু তেওঁৰ ভাৰ্য্যা দুয়ো বিয়াৰ নতুন মন্ত্ৰণাত বহিল,—

কীৰ্ত্তিনাথ।—মই হলে কথা বৰ ভাল দেখা নাই। ৰত্নেশ্বৰে যেনেকৈ হে খং কৰি গৈছে, ইয়াৰপৰা বৰ অমঙ্গলৰ আশঙ্কা আছে।

ঘৈণী।—কিহৰ নো অমঙ্গলৰ কথা কৈছে? তাৰ খং উঠি গল বুলি আমাক কাটি-মাৰি উটুৱাই দিব পাৰিব নে কি? যি হওক, এতিয়া আৰু পলম কৰাৰ সকাম নাই, সোনকালে শুভকাম সমাধা কৰিব লাগে।"

কীৰ্ত্তিনাথ।—ক'তা, এতিয়াও শূলধৰ বৰগোহাঞিৰ ঘৰৰপৰা দেখোন খোজা-বচা একো হোৱাই নাই; যাচি দিব খুজিছা নে কি?

ঘৈণী।—"মই শুনিছোঁ, বোলে, অহা বিৰস্পতিবাৰে তামোল-পাণ কটাবহি হেনো।"

তাৰ পাচত দুদিন গল। বিৰস্পতিবাৰ পালেহি। শূলধৰ বৰগোহাঞিয়েও গাৰঁৰ বিষয়া জনচাৰেক আৰু পঢ়াশালিৰ পণ্ডিতৰে সৈতে কীৰ্ত্তিনাথ গোহাঞিৰ চ'ৰাঘৰত ছোৱালী খুজিবলৈ বহিলেহি। কীৰ্ত্তিনাথ গোহাঞি ওলাই আহি, আগেয়ে বুজ নোপোৱাৰ ভাও ধৰি সুধিলে, "আজি দেখোন তামোল-পাণে সৈতে সকলোটি! সকাম বা কি?"

এজন বিষয়া।—সকাম অলপ আছে। বাৰু, বহকচোন।

২য় বিষয়া।—সকাম এই, আজি আমাৰ বৰ-গোহাঞি ডাঙৰীয়াৰ ল'ৰাটিলৈ আপোনাৰ ছোৱালীটি খুজিবলৈ অহা হৈছে। আপুনি কি বোলে জানো?

কীৰ্ত্তিনাথ।—এৰা, মই নো কি বুলিম? মোৰ ছোৱালী নহয়, জানিবা আপোনাসকলৰে ছোৱালী। আপোনাসকলে যেনে ভাল দেখে তাত নো মোৰ কি আপত্তি আছে! তথাপি, মাকক সুধিলে হে কব পাৰোঁ। মোৰ আৰু দেখিছেই, ল'ৰা-ছোৱালী বুলিবলৈ একেটি ছোৱালী; যাতে ছোৱালীটিৰ আগলৈ সুখ হয়, সেয়ে হে বাঞ্ছনীয়।

শূলধৰ।—হয়, বিয়েদেউ, হয়। মোৰো একেটি ল'ৰা দেখিছেই। মই জীয়াই থকাখিনিত আপোনাৰ ছোৱালীয়ে কেতিয়াও দুখ নাপায়।

৩য় বিষয়া।—অ, ছোৱালী খুজিবলৈ আহোঁতেই বৰগোহাঞিদেৱে সম্বন্ধ লগালেই! হোজা মানুহ দেহি!

কীৰ্ত্তিনাথ।—বাৰু, তেন্তে ভিতৰত সুধি আহোঁ। এই বুলি লাহেকৈ তেওঁ উঠি গল।

সিফালে ভিতৰতো তিৰোতাৰ মেল চলিছে! খোজা-বঢ়াৰ কথা পাতি থাকোঁতে, এগৰাকীয়ে মাত লগালে—অঃ, বৰগোহাঞি ডাঙৰীয়ানীয়ে ছোৱালী খুজিবলৈ আহিছে, এতিয়া ছোৱালী চাব লাগে নহয়।

শূঃ ঘৈণী।—এ, কিনো চাব লাগিছে দেও হে, মই নিজে কোলাত লৈ ডাঙৰ কৰা ছোৱালী সেইজনী।

আন এগৰাকী।—নহয়, নহয়, তেও নিয়মটো ৰাখিব পায়।

সিফালে লাহৰীৰ চেষ্টাই নাই! ৰাতিপুৱাৰেপৰা কান্দোতে কান্দোতে চকুৰ পটাই কেহ্ৰাজৰ বৰণ ধৰিছে। খোজা-বঢ়া কৰিবলৈ মানুহ চাপিবৰপৰা যে তেওঁৰ গাত সংজ্ঞা নোহোৱাৰ দৰে হল। বাহিৰত দেখুৱাবলৈ আনোতে তেওঁ সেই পোনেই যেন পৰি যায়! চকুৰ আগেদি ভমক্ ভমক্ জুই-আঙনি ওলাইছে; চাৰিওফালে লাহৰীয়ে ধুঁৱলি-কুঁৱলী দেখিছে। বাজে-ভিতৰে মানুহৰ মেলত কি হৈছে, কি মেলিছে, লাহৰীৰ গাত তাৰ একো বুজ নাই। দুধাৰি চকু-লোত বাজে এই সময়ত লাহৰীৰ আন একো নাই। তাৰ পাচত এগৰাকীয়ে বুজাবলৈ ধৰিলে, "নেকান্দিবি অ আই! এইখনো ঘৰ, সেইখনো ঘৰ, তই কিবা দেশ এৰি বিদেশলৈ যাব লাগিছে নে? কত মানুহৰ কপালেৰে তেনেও হয়।" এনে সময়তে কীৰ্ত্তিনাথ গোহাঞি সোমাই আহিল। তিৰোতাসকলে মূৰৰ ওৰণি টানি লৈ তললৈ মূৰ কৰিলে। কীৰ্ত্তিনাথ গোহাঞিয়ে ঘৈণীক ভিতৰলৈ মাতি নি কলেগৈ, "মই একেবাৰে মত দিয়া নাই। তোমাক সোধোঁগৈ বুলি হে আহিছোঁ।"

ঘৈণী।—আকৌ যাওক তেন্তে, যি হয় কওকগৈ। আৰু নো কি সুধিবলৈ আছে?

কীৰ্ত্তিনাথ।—মই যাওঁ বাৰু, ছোৱালীটি বৰকৈ বিহ্বল হৈছে, অলপ মন কৰিবা! এই বুলি তেওঁ আকৌ বাহিৰলৈ ওলাই আহিল।

১ম বিষয়া।—কি হল ডাঙৰীয়া? কি মন্ত্ৰণা নো কৰিলে?

কীৰ্ত্তিনাথ।—এৰা, সিফালেও তিৰোতাসকলৰ মেল বহিছে। ভিতৰৰ ফালে ঠিকেই হল।

২য় বিষয়া।—তেনেহলে কথাই নাই আৰু। ভাল, এতিয়া শৰাই ভাঙক।

কীৰ্ত্তিনাথ।—(শৰাই চুই) মই বাৰু চুই দিছোঁ, আপোনাসকলেই ভাঙকচোন।

৩য় বিষয়া।—বাৰু, তেন্তে বিয়াৰ দিন নো কেতিয়া স্থিৰ কৰা হৈছে? মোৰ মনেৰে হলে অহা বহাগতে হলেই ভাল।

কীৰ্ত্তিনাথ।—এৰা, শুভকাৰ্য্য শীঘ্ৰে হোৱাই ভাল। কিন্তু, বহাগ ছোৱালীটিৰ ওপজা-মাহ। সেই কাৰণে আহাৰ মাহত হলেই ভাল দেখোঁ। আহাৰ মাহতো দিন থাকিব পায়।

পঢ়াশালিৰ পণ্ডিত।—আছে, এই বাৰ আহাৰ মাহত হে বিয়াৰ বৰ ভাল দিন আছে।

৪ৰ্থ বিষয়া। বাৰু, তেন্তে সেয়ে হল। এতিয়া আৰু আমাৰ আন কাম নাই। আমি তেন্তে উঠিব হে লাগে।

কীৰ্ত্তিনাথ।—বহক, বহক, তামোল খাই যাওক।

তাৰ পাচত, আন-আন বাজে কথা দুটা-চাইটা পাতি তামোল-পাণ খাই সকলোৱে দিহাদিহি প্ৰস্থান কৰিলে।

দ্বাদশ আধ্যা

চিঠি-পত্ৰ

সেই দিনা লাহৰীক অকলশৰে পুখুৰীপাৰৰ ফুলনিত বাউলী অৱস্থাত এৰি অহাৰেপৰা সিদিনা আকৌ খোজা-বঢ়া কৰিবলৈ অহা তিৰোতাৰ মেলত ছয়াময়াকৈ দেখালৈকে ভালেখিনি কব লগীয়া আছে। কমলে সেই দিনা লাহৰীক সঁচাকৈয়ে জিৰণিৰ ঔষধ হে দি আহিল। আমি সেই দিনাই কৈ আহিছোঁ যে, কমলে শেহত কোৱা কথা কেইষাৰি লাহৰীৰ মনত বৰকৈ লাগিল। লাহৰীয়ে লিখা-পঢ়া জানে বুলিও, চিঠিৰ মহিমা তেওঁ বুজা নাছিল। সেই দিনা কমলে কওঁতে হে তেওঁ এই নতুন উপায়ৰ মোল পালে। লাহৰীয়ে সেই দিনাই আৰু এটি মহৌষধ লাভ কৰিলে। তেওঁ যদিও অনেক পুথি-পাঁজিত ঈশ্বৰৰ লীলা-খেলা আৰু মহিমাৰ কথা পঢ়িছে, যদিও দেউতাকৰ লগত তেওঁ সদায় পূজা-সেৱা আদিত লাগি থাকে, তথাপি ইমান দিনলৈকে সঙ্কটৰ সময়ত 'ঈশ্বৰ' স্মৰণৰ যে কি প্ৰতিকাৰ তেওঁ তাৰ মহিমা বুজা নাছিল। সেই দিনা কমলে নিচেই শেহত কৈ গৈছিল, "ঈশ্বৰ আছে, তেওঁ যি কৰে"। সেই মুহূৰ্ত্তৰেপৰা সেই কথাকিটি লাহৰীৰ কোমল হিয়াত দৃঢ়ৰূপে লিখা ৰল। অহঃ, কমলৰ মুখৰ এটি কথাই লাহৰীক কিমান শান্তি দিয়ে! কমলে যি কথা কয়, সি লাহৰীৰ অন্তৰত কিমান দকৈ বহে! সেই দিনা ইমান বাউলী হৈছিল যে, তেওঁ ফুটাই কথা এষাৰিকে কব নোৱাৰিলে। কিন্তু, তেনে বাউলী অৱস্থাতো কমলৰ কথা কেইটিয়ে লাহৰীক কিমান গুণ দিলে! এই সংসাৰত যি যাক প্ৰাণে-প্ৰাণে ভাল পায়, তেওঁৰ প্ৰাণত তেওঁৰ কথা প্ৰাণে-প্ৰাণে লাগি যায়। প্ৰিয়জনৰ মুখৰ মধুৰ কথাই উতলা হিয়াক চেঁচা কৰে, ই স্বাভাৱিক নীতি। লাহৰীয়ে সেই দিনা তেওঁৰ প্ৰাণৰ প্ৰাণ কমলৰ মুখৰপৰা সেই দুষাৰি কথাতে দুটি মহৌষধ পাই আকৌ ভালেমান দিনলৈকে স্থিৰে ৰব পৰা হল। আহিনীয়ে লাহৰীক কেঁচুৱাৰেপৰা কোলাত লৈ ডাঙৰ কৰিছিল। সৰুৰেপৰা লাহৰীক তাই বৰ মৰম কৰিছিল। আগৰেপৰা লাহৰীয়ে যেনে কাম ভাল পায়, আহিনীয়ে তেনে কাম মৰি-পৰি কৰে। সেই দিনা পুখুৰী-পাৰৰপৰা আহিয়েই লাহৰীয়ে মনে মনে আহিনীক লগত লৈ আকৌ পুখুৰীপাৰৰ ফুলনিলৈ গল। ফুলনিত গৈ লাহৰীয়ে আহিনীক লাহে-ধীৰে কবলৈ ধৰিলে, "আহিনী বাই, তোক আৰু মই ইমান দিনে কোনো কথা এই দৰে গুপুতে কব লগাত পৰা নাই। আজি তই মোৰ বৰ কাম এটা কৰি দিব লাগে। পাৰিবি নে নোৱাৰ আগেয়ে ক।"

আহিনী।—আইদেউ! মই নো আপোনাৰ কথা কেতিয়া নুশুনোঁ! আপোনাৰ কথাত যদি মই মৰিব-লৈকো যাব লাগে, তেও আগ বাঢ়িম।

লাহৰী।—আহিনী! তই যে মোক বৰ ভাল পাৱ, মই আগৰেপৰা জানোঁ। সেই দেখি হে তোক আজি মোৰ এনে গুপুত কথাৰো ভাগ দিবলৈ মাতি আনিছোঁ এতিয়া কথা হৈছে কি, তই কোনেও নজনাকৈ মোৰ কমললৈ আৰু কমলৰ চিঠি মোলৈ নিয়া-অনা কৰিব লাগিব। পাৰিবি নে নোৱাৰ, ক এতিয়া।

আহিনী।—বাৰু, আইদেউ, কৰিব লাগে।

লাহৰী।—আহিনী! তই নো মোক কিমান ভাল পাৱ, আজি ভালকৈ বুজিলোঁ। বাৰু, এতিয়া যা। মই অলপ পাচে যাম।

আহিনী অহাৰ পাচত লাহৰীয়ে গুণ্-গুণ্ কৈ নাম গাই ফুলনিৰ মাজে মাজে ফুৰিবলৈ ধৰিলে। লাহৰী এতিয়া এনে গহীন, কোনে কব পাৰে যে, এই লাহৰীয়ে এই পুখুৰী-পাৰতে অলপৰ আগেয়ে বাউলীটি হৈছিল! পাচে, সন্ধ্যা হবৰ দেখি লাহৰী ঘৰলৈ আহিল। লাহৰীৰ আইতাকেও আজি লাহৰীক এনে স্থিৰ হোৱা দেখি মনে মনে বৰ ৰং পাইছিল। তেওঁ ইটো-সিটোক ফুচ্‌ফুচাই কৈ ফুৰিছিল, "আজি আইদেউৰ মনটি ভাল দেখিছোঁ; তহঁত কোনো ওচৰলৈ নাযাবিহঁক।" আইতাকে আকৌ এবাৰ জুমি চাই কলে, "মোৰ পোনাই আখৰ লিখিছে।" এই বুলি তেওঁ বুলনিঘৰলৈ গুলাই গল ইফালে যে লাহৰীয়ে কি আখৰ

লিখিছে তাক তেওঁ হে জানে। লাহৰীয়ে কিতাপ চাই আখৰ লিখা ভাওটিৰে আগতে কিতাপ এটি মেলি লৈ মনে মনে কমললৈ চিঠি লিখিবলৈ ধৰিছে। চিঠি লিখিবলৈ বুলি হাতত কাপ লোৱা লাহৰীৰ এয়ে প্ৰথম। সেইদিনা চিঠিত অইন বিশেষ কথা একো লিখা নাই, কেৱল আগ-ৰাতি দেউতাক আৰু আইতাকে কি মন্ত্ৰণা কৰিছিল, তাকে হে লিখিলে। লিখিলে বুলি, কমলৰ উৎপত্তিৰ কথা যি শুনিলে, তাৰ একোকে নিলিখিলে। কিয়নো, লাহৰীয়ে তেনে কথা লিখি কমলৰ মনত দুখ দিয়ক অস্ত, নিজৰ মনৰ দুখৰ কথা লিখিও কমলৰ মনত দুখ দিব নোখোজে। কেতিয়াবা অগত্যা একেষাৰ লিখিব লগাত পৰিলেও, তাক আন সন্তোষৰ ভাবেৰে তেওঁ ঢাকি পঠিয়ায়।

পিচদিনা ৰাতিপুৱাই আহিনীয়ে চিঠি লৈ কমলক দিলেগৈ। কমলে তেতিয়াই উত্তৰ নিদি আহিনীক অলপ পাচত আহিবলৈ কৈ পঠিয়ালে। কমলেও এনে চিঠি লিখিবলৈ কাপ লোৱা আজিয়েই প্ৰথম। তথাপি, কমল এতিয়া ল'ৰা নহয়। সৰু কালতে কমলৰ তীক্ষ্ণ বুদ্ধিৰ বিশেষ চিনাকি পোৱা গৈছিল। চিঠিৰ উত্তৰ তেওঁ এনে মৌ-বৰষাকৈ লিখিলে যে, লাহৰীয়ে পঢ়ি দুখ, বেজাৰ-বিপদ সকলো পাহৰি গল। তাৰ পাচত, আৰু দুবাৰ-তিনিবাৰমান লিখা-লিখি কৰি লাহৰীয়ে চিঠিৰ মোল সুন্দৰকৈ বুজি উঠিলে। বাস্তৱতে, চাবলৈ গলে, চিঠিয়ে পৱিত্ৰ প্ৰেমৰ ৰস যিমান উলিয়াব পাৰে, আন একোৱে সিমান নোৱাৰে। যাক প্ৰাণে-প্ৰাণে ভাল পোৱা যায়, তেনে জনলৈ চিঠি লিখি যে কেনে পৱিত্ৰ সুখৰ অধিকাৰী হোৱা যায়, যি এবাৰ তেনে সুখৰ মোল পাইছে, তেওঁ হে বুজিছে। কিন্তু, সেই বুলি যেই-সেই চিঠিয়েই তেনে সুখ টানিব নোৱাৰে। বৰঞ্চ, পৱিত্ৰ প্ৰেম আৰু পৱিত্ৰ ভাবৰ চিঠি নহলে, প্ৰেম-পত্ৰই তাৰ বিপৰীত ফল হে জন্মায়। তেনে চিঠিয়ে বিপদৰ দুৱাৰ সোনকালে মুকলি কৰে। কিন্তু, লাহৰীয়ে কমললৈ লিখা চিঠি! অহঃ, যি কমলৰ মুখৰ দুটি কথা একেলগ কৰি, তাৰপৰা পৱিত্ৰ ভাব লৈ আৰু সঙ্কটত নিৰুপায় হৈ অদৃষ্টক সাক্ষী কৰি চিঠি লিখিবলৈ বহে, তেওঁৰ কাপে মৌ বৰষায়, তেওঁৰ কাপে বিপদ মাৰ নিয়ায়। ইয়াৰ পাচতো কেইবাখনো চিঠি-পত্ৰ চলোৱা হল; প্ৰত্যেক খনিতে একে পৱিত্ৰ ভাব, পৱিত্ৰ কথা। লাহৰী-কমলে আগত এটা ডাঙৰ ভেটা আৰু অসংখ্য বিপদলৈকো আওকাণ কৰিছিল বুলিও, কোনো এখন চিঠিত কোনো এটি কথা ভ্ৰম বা অজ্ঞান স্বৰূপে লিখা নাছিল। লাহৰী-কমল যেন সেই সময়ত নৈতিক বলেৰে বলী আৰু দৈব-জ্ঞানেৰে জ্ঞানী হৈছিল। কিয়নো, যি মুহূৰ্ত্তত কমলৰ মুখৰপৰা লাহৰীৰ আগত সেই শেহৰ কথা কেষাৰি ওলাইছিল, সেই মুহূৰ্ত্তৰেপৰা লাহৰী-কমলে আশা-ভৰসা, বেজাৰ-বিপদ সকলোকে অদৃষ্টৰ ওপৰ নিভৰ কৰি নিশ্চিন্ত হল, সেই দিনাৰেপৰা লাহৰীয়ে বৰ্ত্তমান বিপদৰ কথা হে নালাগে, যেই-সেই কথাতে অলপ মন বেয়া লাগিলেই, অকলে পুখুৰীপাৰলৈ গৈ এটি জোপাৰ মাজত বহি, চকু মুদি নিয়তিক ভাবিবলৈ ধৰেগৈ; মনৰ শান্তি নোপোৱালৈকে লাহৰীৰ সেই আন্তৰিক উপাসনা নেভাগে। এইদৰে ভাবি ভাবি নিয়তিৰ নীতিত লাহৰীৰ বিশ্বাস এনে দৃঢ় হল যে, সেই বিশ্বাসেই তেওঁৰ সকলো বিপদ গুচোৱা অব্যৰ্থ মহৌষধ হৈ উঠিল। স্বৰূপতে, এই সংসাৰ-সাগৰৰ মাজত অদৃষ্ট-নিৰ্ভৰ একেখনি মাথোন আশা-তৰী। এনে বিশ্বাসে যাৰ হৃদয়ত এবাৰ ঠাই পাইছে, যাৰ হৃদয় এবাৰ এনে নৈতিক পোহৰে উজ্জ্বল কৰিছে, তেওঁ আৰু এই ভয়ঙ্কৰ সংসাৰ-সাগৰৰ বিপদ-ঢৌলৈ কেৰেপ নকৰে। নিলগৰপৰা অনেকে অনেক কব পাৰে, কিন্তু যি এবাৰ চকু মুদি সেই নিয়তিৰ মূৰ্ত্তি হিয়াত থাপনা কৰিছে, যাৰ হৃদয় সেই শিৱ-মূৰ্ত্তিয়ে এবাৰ মঙ্গলময় কৰিছে, সি আৰু ইহ-জনমত সেই পৱিত্ৰ নামৰ মহিমা পাহৰিব নোৱাৰে। লাহৰীৰ এই উপাসনা কৰিবলৈ কোনো ঠাইৰ ঠিকনা নাই, সময় নিৰ্দ্ধাৰিত নাই; য'তে যেতিয়াই সুবিধা ঘটে, ত'তে তেতিয়াই তেওঁ উপাসনাত ধৰে।

এই দৰে লাহৰী আকৌ বহুত দিনলৈকে নিশ্চিন্ত আছিল। কিন্তু হায়, মানুহৰ মন! একেটি বিশ্বাসে কিমান স্থিৰ ৰাখিব! সেই দিনা ৰাতিপুৱাৰপৰা খোজা-বঢ়াৰ উলহ-মালহ লাগিবৰ দেখি, লাহৰী আকৌ নিৰাশাৰ সোঁতত উটি যাবলৈ ধৰিলে, লাহৰী আকৌ সেই চেঁচুকৰ সোঁতত

পৰি ঠেৰেঙ্গা লাগিল ; লাহৰীৰ হাত-ভৰি অৱশ হৈ পৰিল। লাহৰীৰ সেই দিনাৰ অৱস্থা কোৱাতকৈ অনুমানত হে বেচিকৈ বুজা যায়। সেই দিনা তিৰোতা-সমাজত কোনেও লাহৰীৰ তেনে মৰ্ম্মান্তিক বেদনাৰ প্ৰকৃত কাৰণ বুজিব পৰা নাছিল। খোজা-বঢ়া শেষ হোৱাৰ পাচত সকলো ঘৰা-ঘৰি উঠি গ'ল। লাহৰীয়েও লাহেকৈ উঠি তেওঁৰ মহৌষধ সেৱন কৰাৰ ঠাই পুখুৰীপাৰৰ ফালে খোজ ললে। ফুলনিত গৈ এটি জোপাৰ মাজত বহি চকু মুদি সেই বিধানকাৰী বিধাতাক ভাবিবলৈ ধৰিলে। তিনিখনমান তামোল খাবৰ পৰ ধ্যানত বহি, লাহৰীয়ে চকু মেলি চাই দেখে, দেখোন সকলো মঙ্গলময়! সম্পদৰ অমৃতময় আশ্বাসে মন প্ৰাণ যেন শীতল কৰি নিছে! লাহৰীয়ে এই সুখ অনুভৱ কৰি অকলে অকলে হাঁহিবলৈ ধৰিলে। অহঃ, ঔষধটিৰ কেনে গুণ! এপালিতে লাহৰীক সাংঘাতিক ৰোগৰপৰা নিস্তাৰ কৰিলে। তাৰপৰা উঠি আহি, লাহৰীয়ে ঘৰৰপৰা গোপনে লিখাৰ সঁজুলি লৈ, আকৌ সেই জোপাটিৰ মাজত বহি ললেগৈ। ইমান দিনে লাহৰী কমলে যিবোৰ চিঠি-পত্ৰ চলাইছে, পুথিৰ কলেৱৰ বঢ়াৰ আশঙ্কাত আমি পাঠকক সেইবোৰৰ নকল দিব নোৱাৰিলোঁ। সেই কাৰণে, সিবিলাকে ইতিমধ্যত লিখা চিঠি কেখনিমানকে তাৰ আৰ্হি স্বৰূপে চাওক :

শ্ৰীশ্ৰীহৰি শৰণং

কমল!

ইয়াৰ অলপৰ আগেয়ে মই আকৌ বাউলী হব লগাত পৰিছিলোঁ। মোক ক্ষন্তেকৰ নিমিত্তে তুমি দিয়া জীৱনী-মন্ত্ৰৰ বল-শক্তিয়ে এৰি গৈছিল! কিন্তু তোমাৰ মহামন্ত্ৰৰ কি যে গুণ!—তাক এবাৰ মুখত লৈয়ে মই এতিয়া আকৌ সুস্থিৰ হলোঁ, মই এতিয়া আকৌ আগৰ দৰে থিৰ, মোৰ এৰি যোৱা বল-শক্তিয়ে ঘূৰি আকৌ ভাগে ভাগে মোক বল দিছেহি। নহলে তো মই তোমালৈ ইমান সোনকালে চিঠি লিখিবকে নোৱাৰিলোঁহেঁতেন। তুমি মোক যেনে শান্ত, ধীৰ আৰু ভাল অৱস্থাত দেখিবলৈ ভাল পোৱাঁ, মই এতিয়া ঠিক তেনেই আছোঁ। এতেকে, মোৰ নিমিত্তে তুমি অকণো চিন্তা নকৰিবাঁ। এতিয়া, তুমিও মোৰ দৰেই সেই মহামন্ত্ৰ সুমৰি সুখে আছাঁ বুলি জানিলেই, তোমাৰ হৈ মোৰ যি একেৰি চিন্তা আছে, তাকো পাহৰিব পাৰোঁ।

কমল! আজিৰ দিনত যি হৈ গৈছে, তাক মই চিঠিৰে জনাবৰ সকাম নাই তুমি নিজেই সকলো বুজিছাঁ, আৰু সকলো জানিছাঁ। কিন্তু, কমল! সেই বুলি তুমি কিবা বেজাৰ বা অসন্তোষ কৰিবা নে? মই জানোঁ, তুমি কেতিয়াও বেজাৰ নকৰাঁ। মই জানোঁ, তুমি মোতকৈয়ো থিৰ। কমল! মই অলপ পৰ চকু মুদি ঈশ্বৰক চিন্তিলেই আকৌ সুস্থিৰ হওঁ। কোনোবাই যেন মোক কাণে-কাণে কৈ যায়হি যে, আমি ভয় কৰাৰ সকাম নাই, আমাৰ ঈশ্বৰ সহায়। সি যি হওক, কমল! মোৰ ই প্ৰাণে তোমাত বাজে আন কাকো নাজানে। এই জগতত মোৰ নিজৰ প্ৰাণতকৈয়ো ভাল পোৱা প্ৰাণীৰ ভিতৰত তুমিয়েই প্ৰথম, তোমাৰ পাচত হে মোৰ মৰমৰ আইতা আৰু দেউতা। কমল! এই পৃথিৱীত মই যিমান দিন জীয়াই থাকোঁ তোমাৰ প্ৰতি মোৰ ভালপোৱা অটল। মোৰ এই সময়ৰ জীৱনৰ ধৰণী সেই দীনবন্ধুৰ চৰণত থাটিছোঁ, যেন জন্মে-জন্মে মই তোমাৰেই হে সঙ্গিনী হবলৈ পাওঁ। এতিয়া, কমল! তুমিও যেন মোৰ দৰেই থিৰ থাকিবাঁ, ইয়াকে হে আশা কৰিলোঁ।

ইতি— মৰমৰ— লাহৰী

* * * *

লাহৰী!

তোমাৰ চেনেহী চিঠিখনি পঢ়ি মোৰ হিয়াত আনন্দ উপচি পৰিছে, অন্তৰত ভাব নধৰা হৈছে। কিন্তু, লাহৰী, কিনো কম, মোৰ ভাব আছে, ভাষা নাই, প্ৰকাশ কৰিবৰ উপায় নাপাওঁ! তোমাৰ দৰে থোৰতে এপাচী ভাব একঠা কথাৰে আথৈ-ফুটাবলৈ আই-সৰস্বতীয়ে মোৰ কাপ-কণ্ঠত থিত নিদিয়েচোন! মই অতি অভাজন, তাতে দুৰ্ভগীয়া। মোৰ সুখ-দুখলৈ মই নাভাবোঁ, কেনেবাকৈ মই হেতু হৈ তোমাৰ সুখ-শান্তি ভাঙ্গো বুলিহে সদায় ভয় কৰোঁ! সি যি হওক, লাহৰী, তুমি সকলো আশা-ভৰসা অন্তৰ্য্যামী পৰমেশ্বৰৰ চৰণত নিৰ্ভৰ কৰি নিশ্চিন্ত আছাঁ বুলি জানি, ময়ো একেৰি নিশ্চিন্ত আছোঁ। আগন্তুক আপদ-সাগৰৰপৰা কোন্ পাকে কেতিয়া কিভাৱে আমি পাৰ পামহঁক, সেইটো নেদেখাজনেহে দেখিছে। আজিলৈ ইমানতে দেই, লাহৰী!

ইতি— মৰমৰ – কমল

ত্ৰয়োদশ অধ্যায়

ন-পমুৱা মান

সেই দিনা ৰত্নেশ্বৰ ৰাজখোৱাই সঁচাকৈয়ে পামপুৰ পাৰ নোহোৱালৈকে বাহী-গা মুধুলেই। তেওঁ ঘৰলৈ খোজ লওঁতেই বেলি ভাটী দিছিল; ৰৰনৈ পায়গৈমানে আবেলি হ'ল। ৰত্নেশ্বৰে নৈ-দাঁতীয়া মিৰিগাৱঁত সোমাই গাখীৰ এপোৱামান আৰু কল দুটামান কিনি ললেগৈ; আৰু ৰৰনৈতে গা ধুই তাকে খাই মাথোন তেওঁ পেটৰ পোৰণি মাৰিলে। তাৰ পাচে কোবাকুবিকৈ খোজ ধৰি তেওঁ সেই দিনাই ঘৰ পালেগৈ। ঘৰত গৈয়ো দিনদিয়েক তেওঁৰ মনত সমূলি সুখ-শান্তি নোহোৱাত পৰিল। অন্তত, প্ৰতিহিংসাৰ ভাবে মনত ঠাই ললেহি; আৰু দিনে দিনে সেই হিংসা-ভাব তাল পৰিমাণে বাঢ়িবলৈ ধৰিলে। সেই দৰেই মাহদিয়েক পাৰ হৈ গ'ল; এদিন সেই প্ৰতিহিংসাৰ প্ৰেৰণাত ৰব নোৱাৰি, তেওঁ এইবুলি অঙ্গীকাৰ কৰিলে যে, যেনে-তেনে উপায়েৰে তেওঁৰ সেই হাবিয়াসৰ ধন লাহৰীক তেওঁ হাত কৰিবই কৰিব। ইয়াকে গুণা-গঁথা কৰি সেই দিনাই, সিবাৰ তেওঁৰ ঘৰত আলহী থকা পামপুৰীয়া মানুহটিক আনিবলৈ ৰত্নেশ্বৰে মানুহ পাচিলে। বাতৰি পোৱা মাত্ৰকে যথা সময়ত পামপুৰীয়া গৈ উপস্থিত হলত, ৰত্নেশ্বৰে তেওঁক নিজৰ মনৰ কথা ভাঙ্গি কলে। তেওঁ নিজৰ উদ্দেশ্য সিদ্ধিৰ অৰ্থে বৰ্ত্তমান যি যি উপায় পাঙ্গিছিল, তাক পামপুৰীয়াৰ আগত এইবুলি কবলৈ ধৰিলে—"পামপুৰীয়া, তোমাক আজি মই মোৰ মনৰ কথা এটা ভাঙ্গি কওঁ। আমাৰ দেশৰ অৱস্থা দুৰাচাৰ মানহঁতে তিনিবাৰে নিবাৰকৈ যি কৰি থৈ গৈছে, সেয়ে আটিছে। ইয়াৰ উপৰি, আমি জনা-শুনা মানুহ হৈ আকৌ তাহাঁতৰ আদিকা থাকি যোৱা উপদ্ৰৱী মানহঁতক উৎসাহ দিয়াটো যুগুত নহয়। কিন্তু, পামপুৰীয়া, মোৰ বৰ্ত্তমান মনৰ উত্তেজনাত, মই সেই কীৰ্ত্তিনাথৰ জীয়েকক বলেৰে আনিব লগীয়া হয় যদিও, যেনে তেনে উপায়েৰে আনিম বুলি ভীষ্ম-প্ৰতিজ্ঞা কৰিলোঁ। এতিয়া মোৰ উদ্দেশ্য সিদ্ধি কৰিবলৈ হলে, সেই মানহঁতৰ সহায় নললে নচলে! সেই কাৰণে, মই এতিয়া ন-পমুৱা মান কিছুমান গোটাবলৈ যাওঁ; তোমাকো লগতে লৈ যাব খোজোঁ। তোমাক লগত নিয়াৰ আন কোনো অৰ্থ নাই, মাথোন তোমাক চিনাকি কৰি দি, সিহঁতক তোমাৰ লগ লগাই দিম। তুমি আন বিশেষ একো কৰিব নালাগে; মাথোন সিহঁতক কীৰ্ত্তিনাথ গোহাঞি আৰু তেওঁৰ জীয়েক লাহৰীক চিনাই দিবাঁগৈ। আমি আজিয়েই ঘৰৰপৰা ওলাওঁ বুলিছোঁ; আশা কৰোঁ, ইয়াত তোমাৰ কোনো আপত্তি নাথাকিব।"

পামপুৰীয়া—নহয়, বোপা-দেউতা, মই কিনো-ৰূপে-সৈতে, নোৱাৰিম হবলা? সিহঁতে আকৌ আমাৰ গাওঁ ভাঙ্গি, কিনো-ৰূপে-সৈতে, খান্তাং কৰিব।

ৰত্নেশ্বৰ।—তুমি সেই কথালৈ একো ভয় নকৰিবাঁ; মই সিহঁতক ঠিক ৰাখিব পাৰিম।

পামপুৰীয়া।—বাৰু তেন্তে, বোপা-দেউতা, কিনো-ৰূপে-সৈতে, আপুনি হে জানে। গাওঁ ভাঙ্গিব খুজিলে কিন্তু, কিনো-ৰূপে-সৈতে, মই আগধৰি ভাগিম।

পামপুৰীয়াক এই প্ৰস্তাৱত মান্তি কৰাই, ৰত্নেশ্বৰে লগত কিছুমান টকা আৰু লগুৱা এটা লৈ, সেই দিনাই দুয়ো ন-পমুৱা মানৰ গাৱঁলৈ যাত্ৰা কৰিলে।

সেই ন-পমুৱা মানবিলাকৰ সম্বন্ধে বহলাই বৰ্ণনা নকৰিলেও হব; অসমত ইহঁতৰ বসতিৰ বিষয়ে 'মানৰ দিন'ৰ কাহিনী জনাসকলে ভালকৈ জানে। মানৰ সেই উপদ্ৰৱৰ পাচতো, অসমত বৈ যোৱা এই ন-পমুৱা মানহঁতে ছেগ বুজি উপদ্ৰৱ কৰে; সেই কাৰণে অনেকে ইহঁতৰ উপদ্ৰৱো মানৰ উপদ্ৰৱৰ লগতে ধৰি থয়। মানে লুটপাত কৰি জুৰুলা কৰি থৈ যোৱাৰ পাচতো, ৪।৫ বছৰলৈকে মাজে মাজে ইহঁতৰ উপদ্ৰৱ চলি আছিল। আন কি, ইহঁতৰ উপদ্ৰৱ বাৰেওকালি হয় বুলিলেও বঢ়াই কোৱা নহয়; কিয়নো, ইহঁতে অসমীয়াক অত্যাচাৰ কৰিয়েই জীৱিকা চলাইছিল; কোনো মানুহৰ উদগনি পালে যে কথাই নাই। এই দৰেই, অনেক দুষ্ট কুলাঙ্গাৰে দুখীয়া প্ৰজাৰ বয়-বস্তু লুট-পাত কৰোৱাই সৰ্ব্বনাশ কৰিছিল। আমি যি সময়ৰ কথা কৈছোঁ, সেই সময়ত এই ন-পমুৱা মানবিলাকক য'তে-ত'তে পোৱা গৈছিল। ইহঁতে য'তে জীৱিকা উলিয়াবৰ সুবিধা দেখে, সেই ঠাইৰ ওচৰতে গুপ্তভাৱে বসতি কৰিছিল।

কিন্তু, ৰত্নেশ্বৰৰ বৰ্ত্তমান উদ্দেশ্য সাধিবৰ নিমিত্তে যেই-সেই মানৰে সৈতে কাম নচলে; গতিকে তেওঁ একেবাৰে ভালেমানলৈ উজাই যাবলগীয়া হল। কিয়নো, আন ঠাইতো তেওঁৰ উদ্দেশ্যৰ উপযুক্ত মান পোৱা যায় নে নাযায়, ৰত্নেশ্বৰে নাজানে। দুবছৰমানৰ আগেয়ে ৰত্নেশ্বৰে ছোৱালী চাবৰ মনেৰে এবাৰ উজনিলৈ গৈছিল, তেতিয়াই তেওঁ এখন ন-পমুৱা মানৰ গাওঁ দেখি যায়। সেই বাৰ তেওঁ উজাই যোৱাৰ বিষয়েও অলপ কবলগীয়া আছে। কিন্তু, সবিশেষ অলপ পাচে হে কোৱা যাব। ৰত্নেশ্বৰে উজনিত আগেয়ে ছোৱালী খুজিবলৈ যাওঁতে চিনাকি হোৱা মানুহ-এঘৰতে এৰাতি কটালে। তাৰ পিচদিনা মান গাৱঁলৈ গৈ চাৰিকুৰিমান মান গোটাই লৈ আনিবলৈ ঠিক কৰিলে। তাৰ পাচত, সিহঁতক ৰত্নেশ্বৰে নিজৰ উদ্দেশ্য ভালকৈ বুজাই দি সুধিলে, "তহঁতে পিচে গাৱঁৰ মানুহক আমনি নকৰ, নহয়?"

মানহঁত।—(এজাকে একেবাৰে) উঃ, নককঙ্ অ, দৌটা, নককঙ্। তই পাচে আমাক ধন নিদিলে হে বেয়া হব।

ৰত্নেশ্বৰ।—তহঁতে মোৰ কাম কৰি দিব পাৰিলে মই তিনিকুৰি টকা দিম বুলিছোঁ নহয়।

মানহঁত।—বাৰু, অ দৌটা, তোৰ কাম কৰি দিম দে, তই ভয় নকৰিবি।

ৰত্নেশ্বৰ।—আৰু এটা কথা। মই তহঁতৰ লগত নাযাওঁ। (পামপুৰীয়াক দেখুৱাই) তহঁতে এই মানুহটিয়ে যি কয়, তাকে শুনিব লাগিব। এওঁ হে সেই ছোৱালী-জনী দেখুৱাই দিবগৈ।

মানহঁত।—হুনিম দে অ, দৌটা, হুনিম। তই একো ভয় নকৰিবি দে। আমি জানুং, এওঁৰ কথা মতে চলিম।

ৰত্নেশ্বৰ।—বাৰু তেন্তে, তহঁত কাইলৈ ৰাতিপুৱাই আটাইবোৰ ওলাই আহিবিহঁক। এতিয়া ঘৰাঘৰি যাগৈহঁক দেই।—যাবলৈ কোৱা মাত্ৰকে মানহঁত দিহাদিহি ঘৰলৈ গল। ৰত্নেশ্বৰেও পামপুৰীয়াৰে সৈতে আলহী থকা ঠাইলৈ উভতি আহিল।

সেই দিনা সেই আলহী-বহাতে শুদাই-নিকাই এমুঠি খাই লৈ, পামপুৰীয়াৰে সৈতে ৰত্নেশ্বৰে কোবাকুবিকৈ ঘৰলৈ ওলোটা-যাত্ৰা কৰিলে। বাটে-বাটে দুইৰো মাজত অনেক কথা-বতৰা হল। মানহঁতক লগাই, কেনেকৈ ঘৰ বেৰা দি, লাহৰীক ধৰি লৈ, একেদিনাই বৰনৈ পাৰ হৈ, ক'তো এখন্তেকো নোৰোৱা-নিজিৰোৱাকৈ ৰত্নেশ্বৰৰ ঘৰ পাবগৈ লাগিব, লাহৰীক নি পোনেই তেওঁৰ আগত থিয় কৰাব, মানহঁতক তাতে আৰু দিনদিয়েক ৰাখি, আগন্তুক খেদি অহা মানুহক কেনেকৈ ওফৰাই পঠিয়াব ইত্যাদি নানীনিছিগা আলাপ-আলোচনাৰে সৈতে বাটকুৰি বাই সেই একেদিনাই দুয়ো ৰত্নেশ্বৰৰ ঘৰ পালেহি।

চতুৰ্দশ আধ্যা

জয়ন্তী

পিচদিনা ৰাতিপুৱাই ৰত্নেশ্বৰ আৰু পামপুৰীয়া আকৌ ন পমুৱা মানৰ গাওঁ পালেগৈ। সিফালে সিহঁতে এওঁ-বিলাক নৌ যাওঁতেই খাই-বৈ, কাপোৰ-কানি পিন্ধি সাজু হৈ ওলাই আছিল। এওঁবিলাকক দেখা মাত্ৰকে চাৰিও-ফালৰপৰা বিং-বিং বাং-বাং কৰি তিনি কুৰি দহোটা মান আহি জুম্ বান্ধিলেহি। ৰত্নেশ্বৰে সিহঁতক আকৌ আগৰ কথালৈ মনত পেলাই দি, পামপুৰীয়াক কলে, "তুমি এতিয়া বাজে-বাজেই যোৱাঁগৈ। ইয়াতে মোৰ আৰু এটি সকাম আছে, মই কাইলৈ হে ইয়াৰপৰা উলটি খোজ লম। তুমি এতিয়া পোনে-পোনেই ইহঁতক পামপুৰলৈ লৈ যোৱাঁগৈ। বিশেষ কথা তোমাক আৰু শিকাবৰ আৱশ্যক নকৰে। বৰনৈ পাৰ হওঁতে, মানুহে নেদেখাকৈ আন এটা ঘাটে পাৰ হবাহঁক। তোমালোকে মোক ঠিক সময়ত মোৰ ঘৰতে পাবাহি। তুমি এতিয়া ইহঁতৰ দৰেই কাপোৰ-কানি পিন্ধি লোৱাঁ।" এই বুলি, আকৌ মানহঁতৰ কালে ঘূৰি তেওঁ কবলৈ ধৰিলে, "তহঁতে এতিয়া এওঁকো তহঁতৰ দৰেই কাপোৰ-কানি পিন্ধাই সজাই লব লাগে। আৰু, এওঁ যি কব, তহঁতে তাকে শুনিব লাগিব।"

মানহঁত।—আমি জানোঙ্ অ, দৌটা, তয় হিকাব নেলাগে দে।

মানহঁতে পামপুৰীয়াকো সিহঁতৰ দৰেই কাপোৰ-কানি

পিন্ধাই লৈ পামপুৰৰ মুখে খোজ ললে। ৰত্নেশ্বৰে সিহঁতক আঁৰ নোহোৱালৈকে চালে, তাৰ পাচত তেওঁ আলহী থকা ঠাইলৈ উভতিল। ৰত্নেশ্বৰ সিহঁতৰ লগত নোযোৱাৰ আন একো কাৰণ নাই, কেৱল তেওঁ লোক-নিন্দালৈ অলপ ভয় কৰিছিল। জনা-বুজা মানুহ হৈ তেনেকুৱা গৰ্হিত কাম কৰিলে দহজনে বেয়া বুলিব, এই ভয়ত তেওঁ সিহঁতৰ লগত নগল। তাৰ পাচে, বাটে বাটে নানা চিন্তাত বিভোল হৈ ৰত্নেশ্বৰ আলহী-থকা ঘৰ পালেগৈ।

ৰত্নেশ্বৰ এই যাত্ৰাত আলহী হোৱা ঘৰৰ কথা আমি ওপৰত অলপ উন্নুকিয়াই আহিছোঁ মাথোন। এতিয়া সেই মানুহঘৰৰ জাতি-গুৰিৰ কথা বহলাই নকলেও, মুঠতে কৈ থওঁ যে, এইখন আগৰ এজন ডাঙৰ বিষয়াৰ ঘৰ আছিল। পাচতো, সেই বিষয়া জন নাই বুলিও, তেওঁৰ বিধৱা ভাৰ্য্যাৰ ঐশ্বৰ্য্য আৰু ক্ষমতা সামান্য নাছিল। এই ঠাই-ডুখৰিৰ ভিতৰত তেওঁৰ ক্ষমতা ৰাণীৰ ক্ষমতাৰ দৰে আছিল। আগৰ ডাঙৰ বিষয়াৰ ভাৰ্য্যা বুলি আৰু বৰ্ত্তমান অনেক ধন সম্পত্তিৰ বলত তেওঁ এই ঠাইৰ সৰু-বৰ সকলোৰে ওচৰত সন্মান পাইছিল আৰু সকলোৱে তেওঁক খাতিৰ কৰিছিল। তেওঁৰ জয়ন্তী নামেৰে ছোৱালী এটি আছিল। সেই ছোৱালীটিকে দুবছৰৰ আগেয়ে ৰত্নেশ্বৰে বিয়া কৰাবৰ মনেৰে চাবলৈ আহিছিল। তেতিয়া জয়ন্তীৰ বয়স চৈধ্য বছৰ মাথোন হৈছিল। ৰত্নেশ্বৰে সেই বাৰ ছোৱালী নিন্দাই বিয়া কৰাবলৈ অসম্মত হৈ উলটি গুচি গল। স্বৰূপতে কিন্তু ছোৱালীটি বৰ সুন্দৰী আছিল। তেতিয়া তেওঁ সৰু আছিল বুলিয়েই বা ৰত্নেশ্বৰে সেই সময়ত যাকে-তাকে বেয়া ভাবি ফুৰাৰ কাৰণেই জয়ন্তী তেওঁৰ চকুত নালাগিল। এতিয়া জয়ন্তীৰ বয়স ষোল বছৰত সোমাইছেহি। বয়সৰ লগে লগে সুন্দৰী জয়ন্তী বৰ ৰূপহীটি হৈ উঠিল। ছোৱালীটিৰ হাত-ভৰি আদিৰ লাৱণ্যতাৰ বিষয়ে নকওঁৱেই, মুখখনি পূৰ্ণিমাৰ জোন যেন বৰ শুৱনী আছিল। ৰত্নেশ্বৰে সেই বাৰ বেয়া বুলি এৰি যোৱাৰ পাচতে, যোৰহাটৰ এটি ৰাজ-কোঁৱৰলৈ জয়ন্তীক বিয়া দিয়াৰ স্থিৰ হৈ গল। ল'ৰাটিৰ বিষয়েও মুঠকৈ কোৱা যায় যে, তেওঁ যেনে ঘৰৰ ল'ৰা, ৰূপে-গুণেও ঠিক তেনেই আছিল। তেওঁক অচিনাকি মানুহে দেখিলেও তেওঁ কেনে ঘৰৰ ল'ৰা তাক অনুমানত বুজিব পাৰে। ল'ৰাটিৰ নাম পূৰ্ণচন্দ্ৰ গোহাঞি। খোজা-বঢা হবৰো আজি ভালেমান দিন হলহি। খোজা-বঢা হোৱাৰ পাচত পূৰ্ণচন্দ্ৰ গোহাঞি-দেৱে শাহুৱেকৰ ঘৰলৈ মাজে-সময়ে আহি থাকে, এতিয়া তেওঁ শাহুৱেকৰ ঘৰতে। এই বাৰ তেওঁ ইয়াত থকা কেইবা মাহো হলহি। ইমান দিন জয়ন্তী আৰু পূৰ্ণ-গোহাঞিদেৱ দুইৰো ভিতৰত মাত-বোল নাই যদিও, ওলাওঁতে-সোমাওঁতে নিলগৰপৰা অনেক বাৰ দেখা-দেখি হৈছে। এতিয়া সিবিলাকৰ পৰস্পৰৰ প্ৰতি এনে মৰম, এনে চেনেহ, এনে আদৰৰ ভাব যে, কোনোৱে যদি পৱিত্ৰ প্ৰণয়ৰ চানেকি চাই সুখী হব খোজে, তেন্তে এই দুটি সুখীয়া প্ৰেমিক-প্ৰেমিকাৰ ফালে এবাৰ চকু দিব লাগে। সংসাৰত প্ৰেম আছে, প্ৰণয় আছে, তাৰ লগে লগে দুখো আছে, বেজাৰো আছে। দুখ আৰু বেজাৰে সেই প্ৰেম আৰু প্ৰণয়ৰ জেউতি অনেক গুণে চৰায় সঁচা, কিন্তু সেই বুলি যে বিনা-দুখ, বিনা-বেজাৰে লাভ কৰা প্ৰেম বা প্ৰণয়ৰ মোল নাই, এনেও নহয়। ঈশ্বৰে যাক যেনে ভোগৰ ভাগী কৰিব খোজে, তাক সেই সম্ভোগ দিবলৈ তেনে প্ৰেম আৰু তেনে প্ৰণয়ত হে পেলায়। ঈশ্বৰ নিজে বহুৰূপী, গতিকে তেওঁ সদায় বহুৰূপৰ পক্ষপাতী। তেওঁৰ লীলা-খেলা, আমোদ-প্ৰমোদ, চকু তৃপ্তি, আমাৰ দুখ সুখ, বেজাৰ-আনন্দ, অসুখ-অশান্তিও হব পাৰে। ঈশ্বৰ নিজে মহাপ্ৰেমিক। তেওঁৰ সৃষ্টি-লীলাত যে কত প্ৰকাৰৰ প্ৰেম-ৰস বিৰিঙ্গি পৰিছে, সহস্ৰ মুখে বখানিও তাক শেষ কৰিব নোৱাৰি।

ৰত্নেশ্বৰ জয়ন্তীহঁতৰ ঘৰত আলহী থকা আজি তিনি দিন হলহি। আগৰ দুদিন তেওঁ পামপুৰলৈ মান পঠোৱাত অতি ব্যস্ত আছিল, তৃতীয় দিন পুৱা তেওঁ শুই উঠি মুখ ধুবলৈ বহোঁতেই বুলনিত জয়ন্তীৰ মোহিনী ৰূপৰ চমকনি হঠাৎ তেওঁৰ চকুত পৰিল। ৰত্নেশ্বৰক গোসাঁই-ঘৰৰ টুপতে শুবলৈ দিয়া হৈছিল। গোসাঁই-ঘৰৰ আগত থিয় হলে, বুলনি-ঘৰৰ প্ৰায় সমানে এড়োখৰ দেখা যায়। সেই সময়ত জয়ন্তীয়ে গা ধুই আহি বুলনিত বহি একাণ-পতীয়াকৈ মূৰ মেলাইছিল; তেওঁ ৰত্নেশ্বৰলৈ মন কৰা

নাছিল। সেই ছেগত জয়ন্তীৰ ৰূপলাৱণ্যতাৰ কথা আৰু বঢ়াই কবৰ সকাম নাই। ৰত্নেশ্বৰে প্ৰথম দৃষ্টি ঘূৰাব নোৱাৰি মুখ, আধা-ধোৱাকৈয়ে ঠৰ্ লাগি চাই ৰল।—চাই চাই, চায়ে ৰল। এইদৰে প্ৰায় এখনমান তামোল খাবৰ পৰলৈকে চাই আছে, এনেতে জয়ন্তীয়ে তেওঁক দেখা পাই, পিচলৈ মেঘ-নেজীয়া চুলিৰ ঢৌ মেলি চকিত হৰিণীৰ দৰে ভিতৰলৈ লৰ মাৰিলে। সেই মুহূৰ্ত্তৰেপৰা ৰত্নেশ্বৰক আন এটা নতুন কথা, নতুন ভাব আৰু নতুন চিন্তাই জোকাৰিবলৈ ধৰিলেহি। জয়ন্তী যে বয়সত এনে ৰূপৱতী হৈ উঠিব, ৰত্নেশ্বৰে আগেয়ে সপোনতো ভবা নাছিল। ৰত্নেশ্বৰে এতিয়া জয়ন্তীৰ ৰূপত মোহ গৈ লাহৰীৰ সম্বন্ধীয় ভাবনালৈ সেই মুহূৰ্ত্তৰ নিমিত্তে পাহৰি গ'ল; আৰু তেওঁৰ গুপ্ত আয়োজনৰ চিন্তালৈ তেওঁ একেবাৰে পিঠি দি ৰহিল। ইমান দিনলৈকে ৰত্নেশ্বৰৰ হিয়া-পটত লাহৰীৰ মোহিনী মূৰ্ত্তি অঙ্কিত আছিল, আজি ৰত্নেশ্বৰে সেই মূৰ্ত্তি ঢাকি তাৰ ওপৰত জয়ন্তীৰ মোহিনী চিত্ৰ আঁকিলে। ৰত্নেশ্বৰে তেওঁৰ পূৰ্ব্বৰ ভ্ৰান্তি সুঁৱৰি অনুতাপ কৰিবলৈ ধৰিলে, আপোনাৰ চকুকে আপুনি নিন্দা কৰিবলৈ ধৰিলে, আৰু জয়ন্তীৰ মূৰ্ত্তি লাহৰীতকৈও মনমোহা বুলি আপোনা-আপুনি সহস্ৰবাৰ প্ৰশংসা কৰিবলৈ ধৰিলে। ইফালে জয়ন্তীৰ বিয়া যে অন্যৰে সৈতে স্থিৰ হৈ গৈছে, সেই কথা ৰত্নেশ্বৰে তেতিয়ালৈকে কব নোৱাৰে। কিয়নো, আগৰ দুদিন নিজৰ পাপ-কাৰ্য্যত লাগি থাকোঁতেই তেওঁ এতিয়াও জয়ন্তীৰ আইতাকৰে সৈতে কথা-বাৰ্ত্তা পাতিবলৈ সময় পোৱা নাছিল। ভিতৰতে ভালেখিনি পৰলৈকে ৰত্নেশ্বৰে এইবোৰ কথাকে ভাবি-চিন্তি আছিল। তাৰ পাচত, তেওঁ ভিতৰ-চ'ৰালৈ আহি জয়ন্তীৰ আইতাকৰে সৈতে সাক্ষাৎ পাবৰ নিমিত্তে ভিতৰত কবলৈ এটা লিগিৰাক পাচিলেহি। অলপ পৰৰ পাচত, জয়ন্তীৰ আইতাক ওলাই আহি ৰত্নেশ্বৰৰে সৈতে কথা পাতিবলৈ বহিল। তেওঁ জয়ে-জয়ে জীয়েকৰ সম্বন্ধীয় কথাকেই জুৰিলে। কথা-প্ৰসঙ্গত যেতিয়া ৰত্নেশ্বৰে জয়ন্তীৰ বিয়াৰ বিষয়ে আদ্যোপান্ত কথা বুজি উঠিল, তেতিয়া তেওঁ একেবাৰে নিৰাশ হ'ল। সেই মুহূৰ্ত্ততে ৰত্নেশ্বৰৰ আনন্দত ফুলি পৰা মুখত বিষাদ ভাৱৰ ঢাকনি পৰিল। আৰু অলপ পাচৰপৰা জয়ন্তীৰ আইতাকে নো কি কৈছে, তাৰ ভাব বা অৰ্থ তেওঁ বুজিব নোৱাৰাই হ'ল, এটা কথা সুধিলে আন এটাৰ উত্তৰ দিয়াত পৰিল। পূৰ্ণ গোহাঞিদেৱে সেইবোৰ কথালৈ মন কৰি আছিল। দেখি দেখি, তেওঁ আৰু হাঁহি সামৰিব নোৱাৰিলে! জয়ন্তীৰ আইতাকেও ৰত্নেশ্বৰৰ অৱস্থা বুজিব পাৰি তেওঁক একো সমিধান নিদিয়াকৈ ভিতৰলৈ সোমাই গ'ল। পূৰ্ণ গোহাঞিদেৱে ৰত্নেশ্বৰক নিতান্ত অপ্ৰস্তুত হবৰ দেখি, তেওঁৱেই কথা পাতিবলৈ বহিলহি। ইফালে ভিতৰত জয়ন্তীয়ে, সখীয়েক কাঞ্চনৰে সৈতে, বাৰ জুমি খেমালি চাবলৈ ধৰিলে। এই দৰে আৰু অলপ পৰ আছে, এনেতে ৰত্নেশ্বৰে নিজৰ বৰ্ত্তমান অৱস্থা তকিব পাৰি, কাকো একো নোকোৱাকৈয়ে বাতুলৰ দৰে উচাটু মাৰি তাৰপৰা উঠি গুচি আহিল। হায়, আজি ৰত্নেশ্বৰ বিষমৰূপে অপ্ৰস্তুত! আজি ৰত্নেশ্বৰে পূৰ্ণ গোহাঞিদেৱ আৰু তেওঁৰ শাহুৱেকৰ আগত বান্দৰ-নচা দিলে! ৰত্নেশ্বৰে উঠি গৈ গোসাঁই-ঘৰত সোমাই, শোকে-বেজাৰে-লাজে খুন্দা মাৰি ধৰাত, কান্দি পেলালে! তাৰ পাচত, লৰালৰিকৈ টালি-টোপোলা বন্ধাই লগুৱাটোৰে সৈতে পামপুৰৰপৰা আঁতৰ হোৱাৰ দৰে, কাকো মাত নলগোৱাকৈয়ে তেওঁ তাৰপৰা উধাতু খাই প্ৰস্থান কৰিলে!

পঞ্চদশ আধ্যা
বিয়া

খোজা-বঢ়া কৰাৰপৰা ভালেমান দিন পাৰ হৈ গল। ইমান দিনলৈকে লাহৰী-কমলে, দুইয়ো চিঠিৰে সৈতে প্ৰবোধ দি মন পতিয়াই আছিল। কিন্তু, যিমানেই হওক, মানুহৰ মন!—একেটা বিশ্বাস আৰু একে প্ৰকাৰৰ অকুল প্ৰবোধ বাক্যে কিমান স্থিৰেৰে ৰাখিব! যিমানেই হওক, বিপদ ওচৰ চাপিলে, মানুহ অলপ নহয় অলপ বিহ্বল হবই হব। এতিয়া আৰু বিয়াৰ দিন নিচেই ওচৰ চাপিলহি,—আৰু দহ দিনমান মাথোন বাকী। দুয়ো ফালৰ বিয়াঘৰীয়াই চাৰিওফালে গাধীৰ-গুৰ লগাই বিয়াৰ ধুমধাম লগাই দিছে। কীৰ্ত্তিনাথ বুঢ়াগোহাঞি আৰু

শূলধৰ বৰগোহাঞিৰ ঘৰত বাট-পদূলি অঁতোৱা আৰু ৰভা দিওৱাৰ খৰধৰ লাগিছে।" গোটেই পামপুৰত ঘৰে ঘৰে ঘৈণী, বোৱাৰী সকলোৰে মুখত কেৱল বিয়াৰ হে কথা। বিয়াঘৰীয়া তুঘৰত লিগিৰা-লিগিৰীবিলাক আনন্দত উকলীকৃত। দৰা-ঘৰত সকলোৰে মন আনন্দত উধাও হৈছে; কন্যা-ঘৰতো কেৱল এটি প্ৰাণীত বাজে সকলোৰে মনত আনন্দ বুলিব পাৰি। স্বৰূপতে, ন-পমুৱা বিষয়াসকলৰ সুখৰ ঠাই, পামপুৰত আজি লাহৰী-কমল দুটি প্ৰাণীত বাজে সৰু-বৰ সকলো সুখী। লাহৰী-কমলে এতিয়াও দুইকো দুয়ো বুজনি দিয়ে আছে হয়, কিন্তু ভিতৰি দুয়ো মাজে মাজে হতাশৰ খুন্দাত অস্থিৰ হৈ পৰিছে। ইয়াৰ আগেয়ে জীৱনীমন্ত্ৰৰূপে মাজে মাজে ঈশ্বৰৰ নাম একোবাৰ লৈয়ে দুদিন-তিনদিনো সিবিলাক শান্ত থাকিব পাৰিছিল। এতিয়া দিনটোৰ ভিতৰত তিনি-চাৰিবাৰকৈয়ো সেই নাম স্মৰণ কৰিব লগাত পৰিছে। দিনে দিনে বিপদ যিমান ওচৰ চাপি আহিবলৈ ধৰিছে, তাৰ লগে লগে লাহৰী-কমলৰ সেই মন্ত্ৰোচ্চাৰণ সিমান ঘন হবলৈ ধৰিছে। ঘন হৈছে বুলি, কমললৈ সিমান অসুচল হোৱা নাই। কিয়নো, কমলে সকলো কথাকে নিৰলে পাইছে; যেতিয়াই যেনে অৱস্থাতে থাওক, কোনো তেওঁলৈ মন কৰোঁতা নাই। কিন্তু, লাহৰীৰ ফালে ইয়ো এটা বিপদ; দিনটোত লাহৰীৰ মনৰ অৱস্থা যিমান ঘনাই সলনি হবলৈ ধৰিছে, মানুহে লাহৰীলৈ বেচিকৈ চকু দিবলৈ ধৰিছে। সময়ত এনেও হৈছে যে, মানুহৰ আগতে লাহৰীয়ে তৰ্কিব নোৱাৰাকৈ ঈশ্বৰৰ নাম লব লগাত পৰিছে। অৱশেষত নিৰুপায় হৈ লাহৰী পুখুৰীপাৰৰপৰা ঘৰলৈ আহিবকে নোৱাৰাত পৰে। ইফালে আকৌ বহুত পৰ ঘৰত নেদেখি আইতাকে পুখুৰীপাৰলৈকে লাহৰীক বিচাৰি যোৱা হল। কি হব! আৰুতো লাহৰীৰ উপায় নাই। লাহৰী মহা সঙ্কটত পৰিল। ঘৰত থাকিলেও মত্ৰা, মাইকী মানুহৰ ঘিটুঘিটনিত লাহৰীৰ মনোবেদনাই ঘনাই উক দিয়ে; অথচ, ঘৰত সিমান ঘনাই জীৱনী-মন্ত্ৰ লবলৈ তেওঁৰ সুবিধা নঘটে। হঁায়, বিপদে যাক পায়, তাক একেবাৰে চাৰিও-ফালৰপৰা বেৰি ধৰি জলা-কলা কৰে! লাহৰী বৰঞ্চ বাউলী অৱস্থাতে ইয়াতকৈ ভালেৰে আছিল। এতিয়া বিপদ-চিন্তাই তুঁহজুইৰ দৰে উমাই উমাই লাহৰীৰ কোমল কলিজা ধোঁৱাবেই কলা কৰিছে। আৰু নো লাহৰীয়ে কিমান সহিব! লাহৰীয়ে যে নিজৰ শক্তিৰ উপৰিও, ঐশ্বৰিক শক্তিৰে সহিলে। ইমানত আৰু লাহৰীয়ে কেনেকৈ ধৈৰ্য্য ধৰি ৰয়! এতিয়া আৰু লাহৰী আকৌ বাউলী হলে কোনোবা আচৰিত হব নে? এতিয়া আৰু লাহৰীয়ে মৰণত শৰণ দি, আন কোনো উপায়ৰ চিন্তা কৰিলে কোনোবাই দায় দিব নে?—লাহৰীয়ে কিন্তু আনে ইঁহালৈ চকু নিদিয়ে, ইতিকিং কৰালৈ কাণ নিদিয়ে আৰু দায় ধৰালৈ কটাহি নকৰে। লাহৰীয়ে কেৱল নিজে অধৈৰ্য্য আৰু বাউলী হৈ তেওঁৰ প্ৰাণৰ প্ৰাণ মৰমৰ কমলৰ কোমল প্ৰাণত ব্যথাৰ উপৰি ব্যথা দিবলৈ এনে বেজাৰতকৈয়ো বেজাৰ পায়। সেই কাৰণে হে আজি লাহৰীয়ে এনে বিপদতো ইমান ফেৰাকে স্থিৰেৰে আছে। সেই দেখি হে লাহৰীয়ে আজিও তেওঁৰ এনে মৰ্ম্মান্তিক বেদনাৰ কথা কাকো নোকোৱাকৈ তাৰ তাপত নিজৰ কোমল কলিজা উতলাই টুলটুলীয়া কৰিছে।

এইদৰেই আৰু চাৰি দিনমান পাৰ হৈ গল। বিয়া একেবাৰে ওচৰ চাপিলহি; টেকেলি দিয়াৰ দিনালৈকে মাজতে দুদিন মাথোন আছে। ইমানলৈকে কমলে লাহৰীৰ প্ৰবোধ মানি নিটাল মাৰি আছিল। ইমানলৈকে কমলে নিজৰ মৰ্ম্মান্তিক বেদনাৰ কথা লাহৰীলৈ লিখি তেওঁক বেজাৰ নিদিওঁ বুলি আছিল। কিন্তু, আজি আৰু তাৰ সীমা পাৰ হল। আজি আৰু তেওঁ অন্তৰৰ শেষ কথা নিলিখি নোৱাৰাত পৰিল। সেই কাৰণে, কমলে আজি অগত্যা বেজাৰৰ কাপ হাতত ললে:

লাহৰী!

ইমান দিনে তোমাৰ মোহিনী লিখনীৰ মায়াত পৰি বিভোল হৈ, তোমাৰ চেনেহী কথাত মোহ গৈ, তোমাৰ অমৃতময় প্ৰবোধ বাক্যৰ ওপৰতে সকলো কথা নিৰ্ভৰ কৰি, মই নিটাল মাৰি আছিলোঁ। মোৰ দৃঢ়-বিশ্বাস যে, তুমি তোমাৰ আন্তৰিক বেদনা জানিবলৈ দি, মোক বেজাৰ

দিবলৈ কেতিয়াও ভাল নোপোৱোঁ। ময়ো, আজিলৈকে তোমাৰ দৰেই অন্তৰৰ প্ৰকৃত বেজাৰৰ ভাব লুকাই, অলপ ভুৱা দি আছিলোঁ। কিন্তু, এতিয়া আৰু সঁচা কথা কোৱাৰ সময় পৰিলহি। এতিয়া আৰু আগৰদৰে তুমি বেজাৰ পোৱা বুলি গুপুত ভাব ফুটাই নকলে, অলপ উপকাৰ কৰিবলৈ চাওঁতে, তোমাৰ মহৎ অপকাৰ কৰা হব; আৰু মই সেই পাপৰ ঘোৰ পাতকী হম! লাহৰী! মই নো কিমানলৈকে উচিত বিচাৰ কৰিছোঁ কব নোৱাৰোঁ; যদি কিবা দোষ কৰি থাকোঁ, ক্ষমা কৰিবা। তোমাৰ ওচৰত অপৰাধী থাকিলে, মই এই সংসাৰতে নৰক-যন্ত্ৰণা ভুগিব লাগিব।

লাহৰী! মোৰ প্ৰাণে নো তোমাক কিমান ভাল পায়, মোৰ এই ভালপোৱাৰ নো প্ৰকৃত গৰাকিণী কোন্ তাক কথাৰে ফুটাই কবলৈ ভাষাৰ অভাব। তথাপি কওঁ, মোৰ অন্তৰ-জগতৰ সকলো কথা কেৱল তুমি—মোৰ জীৱনৰ জীৱন স্বৰূপ, একেটি মাথোন আদৰৰ সৰ্ব্বস্ব—তুমি হে জানা। কিন্তু লাহৰী! তোমাৰ প্ৰাণে নো মোক কিমান ভাল পায়, তোমাৰ মানত নো মই কেনে আদৰৰ বন্ধু, মই হেজাৰ বছৰ হেজাৰ মুখেৰে কৈয়ো শেষ কৰিব নোৱাৰিম। তথাপি লাহৰী, মই এটা কথা কওঁ। আমি সংসাৰৰ ভাব-গতি বুজিবলৈ যদিও নিচেই সৰু, এনে সৰু বয়সতে আমি অনেক দেখিলোঁ, অনেক শুনিলোঁ, সংসাৰৰ গতিত ভালেমান ভটিয়ালোঁ। এতিয়া ভাবি চোৱা, ইচ্ছাময়ৰ ইচ্ছাত হকা-বধা কৰিবৰ কাৰো সাধ্য নাই। আমিও এদিন সংসাৰৰ স্বাভাৱিক গতিত ঢাল খাবই লাগিব। এতেকে, তুমি আৰু মোৰ কথা লৈ ব্যাকুল নহবলৈ মনক বুজনি দি ৰাখাঁ। মোৰ সাংসাৰিক সম্বন্ধৰ বান্ধন তোমাৰ দৰে নহয়। মোৰ আঁতি-গুৰিৰ কথা তোমাক সবিশেষ কোৱা হৈছে। মোৰ বৰ্ত্তমান কোনো নাই বুলিলেও হয়। মই এতিয়া, বা ইয়াৰ পাচত, যেনে অৱস্থাত থাকিব লগাত পৰোঁ, তেনে অৱস্থাত থাকিব পাৰিম। গতিকে, মোৰ নিজৰ দুখ-বেজাৰ লৈ মোৰ চিন্তা নাই। মই যে তোমাৰ পৱিত্ৰ কোমল হিয়াত এনে দৃঢ়ৰূপে ঠাই পালোঁ, এয়ে মোৰ ভাগ্য। মই যে মোৰ জীৱনৰ জীৱন, সবাতকৈ আদৰৰ ধন--তোমাৰ ভাল-পোৱা পালোঁ, তাৰেই মই বৰ চহকী। তোমাৰ এই নিৰ্ম্মল ভালপোৱাকে লৈ মোৰ জীৱনৰ বাকী-ছোৱাও সুখেৰে নিয়াম। তুমি কিন্তু এতিয়া সংসাৰৰ গতিত ঢাল্ লব লগাত পৰিছে। গতিকে, তুমি তোমাৰ আগৰ ভাব-গতি সকলো সলাবলগীয়া হৈছে। এতিয়া আৰু তুমি যাতে সংসাৰৰ গতিত সুখেৰে চলিব পাৰা, তাৰ নিমিত্তে সাজু হোৱা। ময়ো, যেন আগলৈ তোমাৰ সুখ দেখি, মোৰ এই পৱিত্ৰ সুখ ফেৰি বঢ়াব পাৰোঁ, ইয়াকে হে আশা কৰিছোঁ। লাহৰী! মোৰ এই এটোপা চকু-লোৰে সৈতে গত জীৱনৰ সকলো বেজাৰ ধুই পেলালোঁ। এতিয়া তে মাৰ, দেৱীমূৰ্ত্তিলৈ নৱ জীৱনৰ নতুন চকুৰে হে চাইছোঁ। ইতি—

মৰমৰ,—কমল

কমলে চিঠি লিখি সামৰি আকৌ মেলি দুবাৰ ঘূৰাই ঘূৰাই পঢ়ি চালে। তাৰ পাচত চিঠি হাতত লৈ তেওঁ বাহিৰলৈ ওলাই আহিল। আহিনীক লগ পাবৰ অৰ্থে, কীৰ্ত্তিনাথ গোহাঞিৰ পদূলিৰ আগে দি কমল দুবাৰ অহা-যোৱা কৰিলেহি, তৃতীয় বাৰত, নিলগতে আহিনীক দেখা পাই, সঙ্কেতেৰে মাতি চিঠিখনি তাইৰ হাতত দিয়েই তেওঁ ঘৰলৈ উলটি আহিল। আহিনীয়েও গুপুতে চিঠি লৈ ঘৰলৈ গল। চিঠিখনি লাহৰীক দিবলৈ বুলি তাই কতবাৰ চিপিয়াইছে, কিন্তু আনকালৰ দৰে দিবলৈ সুবিধা পোৱা নাই। এইদৰেই আবেলিলৈকে চিঠি আহিনীৰ আঁচলতে থাকিল। সন্ধিয়া পৰত মাথোন লাহৰী পুখুৰীপাৰলৈ যোৱাত, সুবিধা বুজি আহিনীয়ে চিঠিখনি তেওঁক দি আহিলগৈ। লাহৰীয়ে প্ৰথমে চিঠি পায়ে হাঁহি পেলালে। তাৰ পাচত তেওঁ চিঠি মেলি পঢ়িবলৈ একাণপতীয়াকৈ ধৰিলে। পঢ়োঁতে পঢ়োঁতে, চকুৰ পানীয়ে ছাটি ধৰাত তেওঁ শেহৰডোখৰ পঢ়িবই নোৱাৰা হল। আকৌ, চাৰি-পাঁচবাৰ চেষ্টা কৰি তেওঁ কোনোমতে পঢ়া এবাৰ শেষ কৰিলে। পঢ়ি অন্ত কৰি লাহৰী বিমোৰ হৈ সেই কালেই ধঁাচ্ কৰে মাটিত পৰি মূছ্‌কঁছ্ গল। তাৰ পাচত, লাহৰীৰ মুখৰ সৰিয়হ ফুল যেন বৰণে কেঁহেৰাজৰ বৰণ ধৰিলে।

তেওঁ এবাৰ ক'লা পৰিছে, এবাৰ ৰঙা পৰিছে, এবাৰ বা কান্দিয়েই পেলাইছে, এইদৰে লাহৰীয়ে মুহূৰ্ত্তে মুহূৰ্ত্তে মুখৰ বৰণ আৰু মনৰ ভাব-গতি সলাবলৈ ধৰিলে। সদৌশেহত তেওঁ অলপ সংজ্ঞা পাই, জোপাৰ মাজত বহি একান্তমনেৰে পৰমেশ্বৰক ধ্যান কৰিবলৈ ধৰিলে। অলপ পৰ সেইদৰে চকু মুদি ভাবিয়েই লাহৰী আকৌ শান্ত হল, আকৌ থিৰ হল, আকৌ তেওঁ চিঠিখনিৰ আদ্যোপান্ত ভাবিবলৈ ধৰিলে। ভাবি ভাবি, তেওঁ সেই চিঠিৰ উত্তৰ ৰাতিকৈ লিখিবলৈ স্থিৰ কৰিলে। তাৰ পাচত, অলপ পৰ ইফাল সিফাল কৰি লাহৰী ঘৰলৈ আহিল। আজি আৰু লাহৰীৰ মূৰ্ত্তি সংসাৰৰ মানুহৰ আকৃতিৰে নিমিলে। লাহৰীৰ আজিৰ শান্ত, ধীৰ আৰু গহীন ভাব একেবাৰে অলৌকিক! আজি আৰু লাহৰীৰ মনত সাংসাৰিক দুখ, চিন্তা, ভয় একো নাই; আছে, কেৱল কমলৰ চিঠিখনিৰ উত্তৰ দিবলৈ। লাহে লাহে ৰাতিৰ আন্ধাৰে সকলোকে আবৰি ধৰিলেহি; লাহৰীৰ ভাব-গতিলৈকো কোনেও মন কৰিব নোৱাৰা হল। ভিতৰত কুঁঠৰীয়ে কুঁঠৰীয়ে বন্তি জ্বলিল; লাহৰীয়েও লাহেকৈ লিখা-সঁজুলি লৈ নিজান এটি কুঁঠৰীত কমলৰ চিঠিৰ উত্তৰ লিখিবলৈ বহিলেগৈ:

প্ৰাণনাথ!

ইমান দিন আপোনাক নাম ধৰি মাতিছিলোঁ, ইমান দিনে আপোনাক 'তুমি' বুলি সম্বোধন কৰিছিলোঁ, ইমান দিনলৈকে ল'ৰাকালৰ ধেমালিৰেই উমলিছিলোঁ, ইমান দিন লৰালি প্ৰণয়-ডোলেৰেই বান্ধ খাই আছিলোঁহঁক।—আজি হে মোৰ আচল সংজ্ঞা লাভ হৈছে, আজি হে মই মোৰ বৰ্ত্তমান অৱস্থা বুজিব পাৰিছোঁ, আজি আপোনাৰ চিঠিয়ে হে সকলো কথা মোৰ চকুৰ আগত পোহৰাই ধৰিছে।

প্ৰাণনাথ! আজি আৰু মই আপোনাৰ সেই পুখুৰী-পাৰত বহি নানা তৰহৰ কথা পাতি ধেমালি কৰা 'লাহৰী' নহয়; আজি মই আপোনাৰ অৰ্দ্ধাঙ্গিনী,—সহধৰ্ম্মিনী। প্ৰাণেশ্বৰ! ইমান দিনে মই আপোনাৰ লগত কথা-বাৰ্ত্তা পাতি যি সুখ উপভোগ কৰিলোঁ, ইমান দিনে মই আপোনাৰ সঙ্গত যি লীলা-খেলা খেলিলোঁ, সকলো সাংসাৰিক সুখ আৰু সকলো সাংসাৰিক লীলা-খেলা। আপোনাৰ সংসৰ্গ-সুখ সম্ভোগলৈ আৰু বহুত আশা কৰিছিলোঁ, কিন্তু বাটতে বিধি-পথালি হল! নাপালোঁ, নালাগে, যিখিনি পালোঁ সেইখিনি সোঁৱৰণীতে মোৰ অপাৰ আনন্দ! আৰু, যি বাকী থাকিল সেইখিনি পৰকালত ভুগিমগৈ বুলি হৃদয়ত আশা সাঁচি থলোঁ।

প্ৰাণেশ্বৰ! আপুনি যে ভুৱা দিয়াৰ কথা লিখিছিল, এতিয়া আৰু ভুৱা নিদিওঁ—সঁচা, সেই অপৰাধ অলপ কৰা হৈছিল। কিন্তু, প্ৰাণেশ্বৰ! আপোনাৰ দৰে অৰ্দ্ধেক গা বঁচাই, বাকী অৰ্দ্ধেকলৈ পিঠি দিয়া নাই; আৰু নিদিওঁ। আপুনি মোৰ বৰ্ত্তমান ভাব-গতি সলাই, সংসাৰৰ বৰ্ত্তমান গতিত মোক ঢাল খাবলৈ উপদেশ দিছে। বাৰু, এটি কথা সোধোঁ, মই নো কিহেৰে সংসাৰৰ গতি ধৰোঁ? মোৰ যে সিমান দূৰণী বাট খেদিবলৈ বাটৰুৱাৰ সমল এফেৰিও নাই। মোৰ প্ৰেম, মোৰ ভক্তি, মোৰ ভালপোৱা যে আপোনাৰ চৰণত কেতিয়াবাই উবুৰিয়াই অৰ্পণ কৰিলোঁ। সেই সমল যে মোৰ হিয়াত আৰু লেশমানো আনলৈ নাই। সেই সমলত বাজে আপুনি কোৱা সংসাৰৰ গতি ধৰিবলৈ আন কিবা সম্বল আছে জানো? তথাপি, প্ৰাণনাথ, সেই বাবে মই আপোনাৰ গাত দায় দিয়া নাই, আৰু নিদিওঁ। মই জানোঁ, আপুনি নিৰুপায় হৈ হে তেনে কথা লিখিছিল। যি হওক, আপুনি সুখে আছে বুলি জানি মোৰ অন্তৰত আনন্দে নধৰা হৈছে, পাচলৈকো এই অভাগিনীৰ প্ৰেম, ভক্তি আৰু ভালপোৱাকে লৈ সুখে থাকিব বুলি জানি মই নমৰি-জীয়াই থাকোঁমানে নিচিন্ত হলোঁ।

এই ৰাতি আৰু চিঠি দিয়া নহব। কাইলৈকো দুপৰীয়া-মানে হে দিয়াম। কাইলৈৰপৰা মোৰ নামে পতা ভেঁকুলী-বিয়াৰ আৰম্ভণ! এতেকে, এতিয়া আৰু আপোনাৰ শ্ৰীচৰণত মোৰ শেষ নিবেদন কৰোঁ। আজিৰ ৰাতিটো, কাইলৈৰ দিনটো আৰু ৰাতিৰ এছোৱালৈকে মাথোন আছোঁ। ইহ-জনমৰ নিমিত্তে শ্ৰীচৰণত দাসীয়ে এই শেষ বিদায় ললোঁ। মোৰ পাঙ্গি লোৱা কাৰ্য্যত বাধা জন্মাবলৈ বা আন উপায় কৰিবলৈ আপোনাৰ সময় নথকাকৈ হে চিঠি দিয়াম। গতিকে, আপোনাৰ তেনে চেষ্টা সফল নহব। আপুনি

আপোনাৰ প্ৰতিজ্ঞা মতে সুখে থাকি, যেন আপোনাত এৰি যোৱা মোৰ অৰ্দ্ধ-আত্মাক সুখেৰে ৰাখিব, শ্ৰীচৰণত দাসীৰ এয়ে শেষ মিনতি। ইতি—

সেৱিকা,—লাহৰী

লাহৰীৰ চিঠি লিখা হল। চিঠি সামৰি লৈ অলপ পৰ তেওঁ কি ভাবিলে। ভাবি ভাবি কি মন হল, চিঠিখনি মেলি আকৌ পঢ়িবলৈ ধৰিলে। এবাৰ পঢ়া হল, লাহৰীয়ে আকৌ এবাৰ ঘূৰাই পঢ়িবলৈ ধৰিলে। এইবাৰ পঢ়ি গৈ মাজখিনিমান পাওঁতেই, লাহৰীৰ কেতেকীপাহি যেন দুগালে মুকুতাৰ পানী যেন তুধাৰি চকু-লো বৈ আহি চিঠিখনিৰ ওপৰত কেইবাটিও টোপাল পৰিলহি, লাহৰীয়ে চকু মোহাৰি থাকোঁতেই ইফালে চিঠিৰ ওপৰত পৰা চকু-লোৰ টোপাল কেইটি শুকাই গল। টোপালৰ চিন্ কেইটি চিঠিখনিৰ ওপৰত অতৃপ্ত হেঁপাহৰ চিন্ স্বৰূপে বৈ গল। চিঠি নাসামৰা-লৈকে লাহৰীৰ চকুৰ জলক্ তবক্ নুগুচিল। গতিকে, তেওঁ সেই চিন্ কেইটিলৈ মন কৰিবলৈ নহল। সেই ৰাতিলৈ চিঠিখনি লাহৰীয়ে ৰিহাৰ আঁচলতে বান্ধি থলে। পিচদিনাও, বেলি ভাটী দিয়ালৈকে কমলক চিঠি দিযা নহল। পিচ দিনা আবেলি—বিয়াৰ টেকেলি দিযাৰ পিচ দিনা—হে তেওঁ চিঠি পঠিয়াইছে। তাৰ পাচৰপৰা বিয়াঘৰীয়া মানুহৰ চাৰিওফালে উলহমালহ লাগিবলৈ ধৰিলে। দৰা ঘৰ আৰু কন্যা-ঘৰ নিচেই ওচৰা উচৰি। দুযো ঘৰতে পানী তুলিবলৈ সষ্টম হল। ঢোলৰ গিৰ্-গিৰণিত চাৰিওফালে ক'তো কাৰো মাত শুনিবলৈ নোপোৱা হল। পাট-গাভৰু লিগিৰীবোৰে ধোলৰ চেৱে চেৱে বাটে-ঘাটে যেয়ে য'তে আছিল, ত'তে নাচোন ধৰিছে। পানী-তোলাৰ পাচত নোৱন-ধোৱন হৈ গল। লাহৰীক আকৌ আনি নোৱনী ঘৰত বহুৱা হল। চাৰিওফালে তিৰোতাবিলাকে জাঁত জাঁত নাম উৰুৱাবলৈ ধৰিছে। কোনো কোনো জনীয়ে ধেমালিত যোৰা-নামৰ অৰিয়া-অৰি পাতিছে। লাহৰীয়ে কিন্তু এইবোৰ একো কব নোৱাৰে। লাহৰীক নো কেতিয়া নোৱালে, কেতিয়া ধুৱালে, তেওঁ একো কব নোৱাৰে।

তাৰ পিচদিনাও, দুপৰীয়াৰ নোৱন-ধোৱন হৈ গল। আকৌ আবেলি হলহি। পানী তুলিবলৈ অহা ঢুলীয়া খুলীয়াই দুই ঘৰতে ঢোল-খোল বজাই থলক লগালেহি আজি টেকেলি দিয়াৰ দিনতকৈয়ো বেচি ধুমধাম্। আজি সেই বাহিৰৰ তোলপাৰৰ লগে লগে লাহৰীৰ অন্তৰৰ তোলপাৰ চতুৰ্গুণে চৰিছে। লাহৰীৰ অলৌকিক শান্ত, ধীৰ, গহীন, আপোন-পাহৰা ভাৱ গতি দেখি, যেয়ে-সেয়ে অলপ আচৰিত ভাৱে তেওঁলৈ চোৱা হল। বিশেষকৈ, আহিনীৰ মনত বৰকৈ উগুল-থুগুল লাগিবলৈ ধৰিলে। আইতাক আৰু দেউতাকৰ গাত বিয়াৰ কাৰবাৰতে তত্ নাই, সিবিলাকে লাহৰীলৈ বিশেষ মন কাণ দিবলৈ আজৰি পোৱা নাই। ইফালে বিভোল লাহৰীয়ে, গধলি হৈ আহিছেমানে, কমললৈ লিখা চিঠিৰ শেহৰ কথা কেফাঁকিলৈ বৰকৈ মনত কৰি আহিছে। তাৰ পাচত, ফটাকানিৰ অচেতন দৰা কন্যাক নোৱন দিযাৰ দৰে লাহৰীক আকৌ এবাৰ নোৱন দিযা হৈ গল। এতিয়া আৰু লাহৰীৰ মনে পতা অন্তিম সময় নিচেই ওচৰ চাপিলহি। লাহে লাহে সেই ভযঙ্কৰ কাৰ্য্যলৈ ভয়ঙ্কৰ ক্ষণে লাহৰীত খিত্ দিলেহি। স্বামী গুৰু কমল-চৰণ চিন্তি লাহৰীয়ে এহাতে লাহেকৈ আঁচলৰ গাঁথিত হাত দিছে, এনেতে চাৰিওফালে দুম্ দুম্ দাম্ দাম্ লাগি উঠিল। লাহৰীয়ে চঁক্ খাই হাতৰ আঁচল এৰি দি, কি হৈছে অলপ গম লওঁতেই "মান, মান, মান! পালেহি, পলা, পলা" ইত্যাদি বিপদৰ আৰ্ত্তৰাৱ শুনা গল। পিচমুহূৰ্ত্তে দেউতাক আৰু আইতাকে আহি লাহৰীক সাবটি ধৰিলে। চাওঁতে চাওঁতে, বিয়ালৈ অহা মানুহ কোন্ কলৈ গল, চিন্ নোহোৱাত পৰিল। কীৰ্ত্তিনাথ গোহাঞিযে য'ৰে বস্তু ত'তে এৰি, ভাৰ্য্যা আৰু জীযেকক লৈ পলাবলৈ দিহা লগালে। মানহঁতে পোনে পোনেই কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰকে বেৰি ধৰিলেহি। তাৰ পাচত, দহোটা মানে ভিতৰলৈ সোমাই দেখে যে মানুহ নাই, উদং ঘৰ। মানহঁতে থঙত সুহুৰি-টকালি মাৰি সেই দিনা ৰাতিযেই অলপ পৰলৈ বিচাৰি চালে, কিন্তু আন্ধাৰ ৰাতি নিজৰ মানুহকে চিনা টান দেখি সিহঁতে বেচি পৰ আৰু নিবিচাৰিলে। সিহঁতে ৰত্নেশ্বৰৰ উপদেশ মতে, অন্যান্য মানুহক একো অত্যাচাৰো

নকৰিলে। পিচদিনা ৰাতিপুৱাই মানহঁতে আকৌ দিহাদিহি লাহৰীক বিচাৰিবলৈ ওলাইছে, এনেতে কমল আহি উপস্থিত! কমল লাহৰীৰ চিঠি পোৱাৰেপৰা ব্যাকুল হৈ আছিল। মানৰ কথা শুনি তেওঁ লাহৰীৰ নো কি হৈছে চাবলৈ আহিছিল। পামপুৰীয়াই মানহঁতক বুজাই দিলে যে, কমলক ধৰিলেই লাহৰীৰ সন্ধেদ্ পোৱাৰ সম্ভৱ। সেই কাৰণে, সিহঁতে কমলক ধৰি, লগত লৈ, হাবিয়ে বননিয়ে লাহৰীক বিচাৰিবলৈ ধৰিলে। সিহঁতে হাবি মহটিয়াই বিচাৰি যাওঁতে যাওঁতে, জোপা এটাৰ মাজৰপৰা ওলাই মানুহ এটা লৰি পলোৱা দেখা পালে। মানুহটো শকত-আৱত দেখি তেওঁকে কীৰ্ত্তিনাথ গোহাঞি ভাবি, মান দুটাই তেওঁৰ পিচে পিচে খেদি গ'ল। পিচে, ঢুকুৰি নলমান বাট খেদা খাই, মানুহটো হুল জোং থকা এটা পোতা নাদত উফৰি পৰিলগৈ। হুল জোঙেৰে থকাসৰকা হৈ অন্তিম সময়ৰ আৰ্ত্তৰাৱ কাঢ়ি মানুহটো তেতিয়াই তাতে মৰিল। মৰণৰ সময়ত 'লাহৰী' নামটি তেওঁৰ মুখত আধাফুটা হৈ আৰু নোলোৱা হল। পামপুৰীয়াই লৰি গৈ চাই দেখে, দেখোন সেইটি ধনবৰ হে! নিৰ্দ্দোষী ল'ৰাটি অবাবত মৰা পৰিল বুলি পাচত সি হাঁয়-হাঁয় কৰিবলৈ ধৰিলে। তাৰ পাচত, মানহঁতে আকৌ ইফালে সিফালে বিচাৰিবলৈ ধৰিলে। এইদৰে আৰু এপৰমান বেলি বিচাৰি বিচাৰি কীৰ্ত্তিনাথ গোহাঞি পলাই থকা জোপাটোৰ আগতে কমলে সৈতে মানহঁত গৈ হলগৈ। লাহৰীয়ে কমলক ধৰি লৈ যোৱা দেখিয়েই, জুইত ফৰিং উফৰি পৰাৰ দৰে, জাঁপ মাৰি আহি তেওঁক সাবটি ধৰিলেহি। পামপুৰীয়াই "ধৰ, ধৰহঁক, কিনো ৰূপে সৈতে, এওঁৰেই লাহৰী" বুলি কোৱা মাত্ৰকে মানহঁতে কমলক এৰি লাহৰীক ধৰিলে। তাৰ পাচত, সিহঁতৰ উদ্দেশ্য সিদ্ধি হোৱাত, কমলক তাত এৰি, লাহৰীক লৈ সিহঁত উলটিবলৈ সক্ষম হল। লাহৰীক ধৰি লৈ যোৱা দেখি কমল, লাহৰীৰ দেউতাক আৰু আইতাক তিনিও উৰি যোৱা দি গৈ লাহৰীৰ ওপৰতে পৰিলগৈ। সেই থিনিতে বিপদৰ চিয়ঁৰ-বাখৰত তোলপাৰ লাগি উঠিল। কীৰ্ত্তিনাথ গোহাঞি আৰু আৰু তেওঁৰ ভাৰ্য্যাক গঁতা খোঁকোটাৰে অপমান কৰি গোটাচাৰেকে ধৰি নি বহু নিলগত আঁতৰাই থলেগৈ। কিন্তু, কমলক চৰ, লাঠি, গঁতা, খোঁকোটা একোৱেই লাহৰীৰ গাৰপৰা এৰুৱাব নোৱাৰা হল, কতবাৰ লগতে লাগি যায়, কতবাৰ পাযণ্ডহঁতে গঁতিয়াই থৈ যায়হি,—তথাপি, কমল লগতে লাগি যায়। সদৌশেহত মানহঁত নিৰুপায় হৈ, সিহঁতৰ দুটাই কমলক ধৰি থাকিল, বাকীবিলাকে লাহৰীক উৰুৱাই নিয়াদি লৈ গুচি গ'ল। অলপৰ পাচতে, ইহঁতেও কমলক তাতে আধা-মৰা কৰি হাত ভৰি বান্ধি পেলাই থৈ লগৰীয়াবিলাকৰ লগ ধৰিলেগৈ।

ষোড়শ অধ্যায়

কমল

লাহৰীক ধৰি নিয়াৰ পাচতো দিনদহেক পামপুৰৰ পলোৱা মানুহবিলাক ঘৰলৈ উলটি অহা নাই। সকলোৰে ঘৰ-বাৰী একেবাৰে এৰা-পলৰীয়া ঘৰৰ দৰে হৈছে। নিজম পামপুৰ একেবাৰে নিজান নিমাত। মাজে মাজে ছেগ বুজি দুষ্ট মানুহবিলাকে যাৰ য'ত যি পাইছে, অবাধে লৈ গৈছেহি। ইফালে হাবিত মানুহবিলাকে পেটৰ ভোকত কলমলাই ফুৰিছে। আজি পামপুৰৰ এনে শোক-লগা অৱস্থাত ডালৰ চৰাই-চিৰিকতিয়েও বিষাদৰ সুৰেৰে সমবেদনা জনাইছে। ভাবিলে শোক লাগে, এসময়ত অসম দেশ অৰাজক পাই, নৰ-ৰাক্ষস কিছুমানে দুখীয়া-নিচলা অসমীয়াৰ এনে দুৰ্গতি কৰিছিল। এনেবিলাক দুখ-দুৰ্গতি নিজে দেখা বা ভোগ কৰাৰ কথাকে নকওঁ, এতিয়া লোকৰ মুখে শুনিলেও, চকু লো নুটুকি থাকিব নোৱাৰি। তৃতীয় দিনা জানিবা বিষয়া বিলাকে ঘৰলৈ উলটিবলৈ ধৰিলে। চতুৰ্থ দিনা বিষয়া জনচাৰেক আহি দেখে, দেখোন অন্য উৎপাত্ একো নাই, মানে বিয়া ভাঙ্গি সেই দিনাই উলটিলে। সিবিলাকে হাবিয়ে-বননিয়ে মানুহ পঠিয়াই বাকী মানুহ-বিলাককো মতাই অনালে। প্ৰথমে কীৰ্ত্তিনাথ গোহাঞি কিম্বা আন কোনো বিষয়াই মানৰ হঠাৎ এই উৎপাতৰ কাৰণ একোকে বুজিব নোৱাৰিছিল। তাৰ পাচত, পাষণ্ড ৰত্নেশ্বৰৰ কথালৈ কীৰ্ত্তিনাথ গোহাঞিৰ মনত পৰিল। তেতিয়া হে তেওঁ বুজি উঠিল যে, সেই পাষণ্ডয়ে এই

প্ৰতিশোধ দিলে। এই ভাব মনত অহা-মাত্ৰকে কীৰ্ত্তিনাথ গোহাঞিয়ে চিয়ঁৰি চিয়ঁৰি মূৰত ভুকুৱাই কান্দিবলৈ ধৰিলে। বিষয়াসকল সকলোৱে কীৰ্ত্তিনাথ গোহাঞিক সান্ত্বনা দি ৰাখি, এই কথাৰ সম্ভেদ্ লবলৈ আৰু লাহৰী নো ৰত্নেশ্বৰৰ ঘৰত আছে নে নাই, তাৰ সন্ধান লবলৈ গুপ্তভাৱে মানুহ পাচিলে। কেইদিনমানৰ পাচত, সেই মানুহে গৈ ঘৰত ৰত্নেশ্বৰক নাপালে। গাৱঁৰ আন মানুহে কলে, বোলে দহ-বাৰ দিনমানৰপৰা তেওঁ ঘৰতেই নাই। ইফালে লাহৰীৰ আইতাকে বিননিত গছৰ পাত কঁপাইছে। গাৱঁৰ বিষয়ানী সকলে কত নো বুজনি দিছেহি, লাহৰীৰ আইতাকৰ কাণত সি অলপো গুণ ধৰাব পৰা নাই। হিয়া ভুকুৱাই ভুকুৱাই তেওঁ বুকু চামডলা যেন কৰিছে। আজি লাহৰীৰ আইতাকৰ বিলাই দেখি পানীতো হাঁহ নচৰা হৈছে। হাঁয়। যি লাহৰীক আইতাকে বুকুৰপৰা এৰিবই নোখোজে, যি লাহৰীক তেওঁ চকুৰ আঁতৰ কৰিব নোৱাৰি ৰত্নেশ্বৰলৈ নিদিলে, আজি সেই লাহৰীক কোনে কলৈ নিলেগৈ তাৰ একো চিন নোহোৱাত পৰিল। ইচ্ছাময়ৰ আচৰিত ইচ্ছা। তেওঁৰ আচৰিত লীলা-খেলাৰ উদ্দেশ্য আমি কি বুজিম! পাঠক, ইফালে আকৌ শূলধৰ বৰগোহাঞিৰ ঘৰলৈ চকু দিয়ক। ভাল হওক, বেয়া হওক, দুষ্টই হওক, টেটোনেই হওক, একেটি মাথোন পুতেক আছিল, আজি তেওঁ তাকো হেৰুৱালে। বৰগোহাঞি; একেই হোজা মানুহ, পুতেকৰ শোকত এতিয়া একেবাৰে আতুৰ হৈ পৰিল। দেহি, সৰহ কথাৰ মানুহ নহয়, তেওঁ সৰু ল'ৰাৰ দৰে চিয়ঁৰি চিয়ঁৰি কান্দিবলৈ ধৰিছে। ইফালে, মাকে বিননিত গছৰ পাত খিলি খিলি কৰিছে. একো একোবাৰ বা তেওঁ পানীত পৰি মৰিবলৈকে ওলাইছে। একেবাৰে বাউলী হৈ তেওঁ যাকে-তাকে 'মোৰ বোপাই' 'মোৰ সোণাই' বুলি সাবটি ধৰিছেগৈ। তেওঁৰ কান্দন শুনি বাটৰ বাটৰুৱায়ো চকু-লো ঘটুকি যাব পৰা নাই। শোকৰ বিননিৰে পুতেকৰ কত নো গুণ গাবলৈ ধৰিছে, তাৰ আদি-অন্ত নাই। স্বৰূপতে, ধনবৰ দুষ্ট আৰু অসৎ স্বভাৱৰ ল'ৰা আছিল যদিও, সেই আপদীয়া সম্পৰ্কত তেওঁ একেবাৰে নিৰ্দ্দোষী। কিন্তু, অদৃষ্টত যাৰ য'ত যেনেকৈ মৰণ নিৰ্দ্দিষ্ট আছে তাক কোনে খণ্ডাব পাৰে? পুত্ৰ-শোকত বিমোৰ হৈ শূলধৰ বৰগোহাঞিৰ আৰু পামপুৰত তিষ্ঠিবলৈ ইচ্ছা নোহোৱা হল; সেই দুৰ্ঘটনাৰ পাচত এমাহমান থাকি, তেওঁ মাটি বাৰী, বয় বস্তু বেচি, বিষয়া-সকলৰ ওচৰত বিদায় লৈ, পামপুৰ এৰি তেজপুৰৰ ফালে গললৈগে।

সিবিলাকক সিমানতে বিদায় দি, আমি আকৌ পাঠকসকলক কমলৰ বিলাই দেখুৱাবলৈ লৈ যাওঁ। আজি পাঠকসকলে পামপুৰৰ চাৰিওফালে বিলাই বিপত্তিকে হে দেখিব। বাটে, ঘাটে, ঘৰে, বাহিৰে, মতা, মাইকী, ল'ৰা, ছোৱালী সকলোৰে মুখত কেৱল এই দুৰ্ঘটনাৰ বেজাৰৰ কথা হে শুনিব; সকলোকে আজি শোকত বিমোৰ হোৱা দেখিব। হায়! যি পামপুৰ এবাৰ সুখৰ ঠাই, শান্তিধাম বুলি বৰ্ণোৱা হৈছিল, আজি সেই পামপুৰত এনে অশান্তি! কমলে সেই দিনা নো কিমান গঁতা খালে, কিমান কিল খালে, কিমান কৰ্কথনা সহিবলগীয়া হৈছিল, তথাপি তেওঁ প্ৰাণৰ প্ৰাণ মৰমৰ লাহৰীৰ লগত লগ লাগিবলৈ নাপালে! পাচতো, কমলে লাহৰীৰ ছঁয়া চাই পিচত লৰিবলৈ ছেগ নাপালে। কমলক ধৰি নিবৰ দেখিয়েই হে যে লাহৰীয়ে ফৰিং-উফৰাদি আহি তেনে বিপদৰ জুইত পৰিলে সেই কথাৰ সোঁৱৰণীয়ে কমলৰ কোমল হিয়া অনুতাপত দগ্ধ কৰিবলৈ ধৰিলে। কমলে এটোপা চকু-পানীৰে সকলো বেজাৰ ধুই নিশ্চিন্ত থাকিব বুলি লাহৰীলৈ লিখিছিল; আজিচোন সাতখন সাগৰৰ পানী আনি ধুৱালেও কমলৰ একেটি বেজাৰৰ চিনকে ধুই গুচাব নোৱাৰা হল। হাঁয়! আগেয়ে লাহৰীক বাউলী হব দেখিলে, কমলে নিজে স্থিৰ থাকি তেওঁক সান্ত্বনা দিছিল, আজি নিজৰ তেনে অৱস্থাত কমলক শান্তি দিয়ে কোনে! কমলৰ মানত আজি সংসাৰ মৰুময়, সমূলি অসাৰ আৰু আন্ধাৰ। কমলে ল'ৰাকালতে মৰমৰ আইতাক আৰু দেউতাকক হেৰুৱায়ো ইমান বেজাৰ, এনে শোক পোৱা নাছিল। কমলে লাহৰীলৈ লিখা চিঠিত সকলো সঁচা কথাকে লিখিছিল। লাহৰীৰ যদি ধনবৰৰ লগতে বিয়া হলহেঁতেন, তেও কমল মহাসুখে থাকিলহেঁতেন, লাহৰীৰ সাংসাৰিক সুখ-দুখ তেওঁ চকুৰে চাই থাকিবলৈ পালেহেঁতেন। আজি কমলে

এই সংসাৰৰ ভিতৰত তেওঁৰ একেটি মাথোন শান্তিৰ প্ৰতিমা একেবাৰে হেৰুৱালে! আজি কমলে নিজৰ জীৱনতকৈয়ো অধিক আদৰৰ বস্তুটিৰ এনে আলাই-আথানি দেখিলে! বুজন হৈছে বুলিও, কমলৰ প্ৰাণ নিচেই কোমল, কমলৰ হিয়া অতি আলসুৱা; আচীৰ দৰে সি ইফালে চালে সিফাল দেখা নিৰ্ম্মল। এতিয়া যে এনে বিপদ-ধুমুহাই পাই কমলৰ কোমল প্ৰাণ ক'ৰবালৈ উৰুৱাই নিব! এতিয়া যে নিঠুৰ শোক-শেলে ভেদি কমলৰ কুমলীয়া হিয়া থকা-সৰকা কৰিব! লাহৰী লতা সিফালে উৰুলিয়েই গল নে কি, তাৰ চিন্ নাই; ইফালে কমল-গছ, সেই লতা-বান্ধনী একৰাই নিয়াত, মৃদু মলয়াতে হলি পৰা হল! এইহেন ভয়ঙ্কৰ বিপদৰ ধুমুহাত পৰি কোমল কমল গছ এতিয়া কেনেকৈ তিষ্ঠি থাকে? ইফালে লাহৰী-কমলৰ প্ৰেম-বান্ধনীৰ প্ৰণয়-সূতা অনন্ত নেহোৰা হলে তো কথাই আহৰি, ইমান পৰ কমলক দেখিবলৈকে পোৱা নগলহঁেতেন, কেতিয়াবাই টেঁটু-চেপা খাই তেওঁৰ প্ৰাণ অন্ত হলহেঁতেন। হায়, আসন্ন বিপদতো ধৈৰ্য্য ধৰা কমল আজি সমূলি অথিৰ, একেবাৰে বাতুল! কাৰ কি হৈছে, কোন্ ক'ত আছে, কমলে আজি একো কব নোৱাৰে। কব পাৰে, কেৱল লাহৰীৰ কথা; লাহৰীৰ গুণ সাত দিন সাত ৰাতি বিনালেও আজি তেওঁৰ ওৰ নপৰে। তেওঁ দেখিছে মাথোন পাষণ্ডইতে লাহৰীক ধৰি নিয়া; কৃষ্ণৰাম গোহাঞি কোন্, তেওঁৰ ঘৈণী নো কোন্, কীৰ্ত্তিনাথ গোহাঞি কোন্, লাহৰীৰ আইতাক নো কোন্, কমলে আজি কাৰো সম্বন্ধ-ভেদ নুবুজা হল। যেয়ে যি কথাকে সোধে, কমলে উত্তৰত কেৱল লাহৰীৰ কথাহে কয়। নাইবা, জীৱনী-শক্তি-শূন্য শেঁতা মুখখনি এফলীয়াকৈ কাঠৰ পুতলাটিৰ দৰে কমলে জলকা লাগি চাই থাকে। ইচ্ছাময়ৰ কি অলৌকিক মহিমা! মানুহক এইদৰেও তেওঁ পুতলা নচুৱায়! যি কমল পামপুখুৰ ভিতৰত শান্ত, ধীৰ আৰু গহীন স্বভাৱৰ এটি পটন্তৰ আছিল, আজি সেই কমল এনে অস্থিৰ আৰু বাতুল! যি কমলে বুঢ়া বিষয়া আৰু চুবুৰীয়াৰ ওচৰত লাজতে মূছকঁছ যায়, আজি সেই কমলৰ লাজ নো কি, তাৰ বোধ নাই; যাৰে-তাৰে আগত তেওঁ 'লাহৰী' 'লাহৰী' বুলি চিঞঁৰিব লাগিছে! কমলে যে লাহৰীক ইমান ভাল পায়, লাহৰী যে কমলৰ এনে হৃদয়ৰ গুপুত ধন আছিল, ইমান দিনে লাহৰীৰ আইতাক আৰু দেউতাকত বাজে আন কেৱে নাজানিছিল।

এইদৰে উন্মাদ অৱস্থাতে কমলৰ দহ-বাৰ দিনমান গল। সেই কেইদিনৰ ভিতৰত তেওঁ কৃষ্ণৰাম গোহাঞিৰ ঘৰত কেইদিন আছিল কব নোৱাৰে। তাৰ পাচত, লাহে লাহে কালৰ গতিত কমল আকৌ দিনে দিনে তিল পৰিমাণে ধীৰ হৈ আহিল; কিন্তু লগে লগে তেওঁৰ আন্তৰিক সন্তাপ তাল পৰিমাণে বাঢ়িবলৈ ধৰিলে। দিনে দিনে কমল শুকাই-ক্ষীণাই যাবলৈ ধৰিলে। কীৰ্ত্তিনাথ গোহাঞিয়ে কমল আৰু লাহৰীৰ এনে অকৃত্ৰিম প্ৰণয়ৰ কথা ভালেমান দিন ভাৰ্য্যাৰ মুখৰপৰা শুনিছিল যদিও, লাহৰী-কমলৰ প্ৰণয়-বান্ধ যে এনে অকৃত্ৰিম আৰু ইমান্ দৃঢ়তম আছিল, তাৰ সন্ভেদ্ তেওঁ আগেয়ে নাপাইছিল। এতিয়া, কমলৰ এনে পৱিত্ৰ প্ৰেমৰ চিনাকি পাই কীৰ্ত্তিনাথ গোহাঞিয়ে আত্ম-সন্মানৰ নিমিত্তে স্বাৰ্থপৰ কাৰ্য্য কৰাৰ বাবে অনুতাপ কৰিবলৈ ধৰিলে। স্বামী-ভাৰ্য্যা দুয়ো এতিয়া কমল-গছৰ গাত লাহৰী-লতাৰ সাঁচ চাই মন পতিয়াবলৈ ধৰিলে। সিবিলাকে কমলতে লাহৰী-কমলৰ যুগল-মূৰ্ত্তি দেখা পোৱা হল। লাহৰীৰ আইতাকে যে কমলক নেদেখিলে ক্ষন্তেকো থাকিব নোৱাৰা হৈ পৰিল। কমল আগত থাকিলে, ঘনে ঘনে তেওঁৰ লাহৰীলৈ মনত পৰে হয়, কিন্তু কমলৰ কোমল ভাব-গতি দেখি তেওঁ অন্তৰৰ জ্বলা-জুই বৰকৈ জ্বলি আকৌ নিমিষতে চেঁচনি পৰা যেন পায়। কীৰ্ত্তিনাথ গোহাঞিয়েও কমলক দেখিলেই আঁকোৱালি চপাই ধৰি ল'বাৰ দৰে কোলাত তুলি লয়। পাচলৈ তেওঁ কমলক নেদেখিলে থাকিব নোৱাৰা হল। বুদ্ধিমান কমলে এই কথা বুজিব পাৰি, পাচলৈ প্ৰায় সদায় কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰত হে থকাহি হল; কৃষ্ণৰাম গোহাঞিৰ ঘৰত কেৱল তেওঁ সময়মতে খাবলৈ হে যায়। কৃষ্ণৰাম গোহাঞি বৰ জ্ঞানী মানুহ, কমলৰ এনে জ্ঞান আৰু বুদ্ধিৰ পৰিচয় পাই তেওঁ সেইবাবে সন্তোষ হৈ

পাইছিল। এইদৰে থাকি থাকি কমল পাচলৈ কীৰ্ত্তিনাথ গোহাঞি আৰু কৃষ্ণৰাম গোহাঞিৰ অতি আদৰৰ উমৈহতীয়া পুত্ৰৰ দৰে হৈ উঠিল।

সপ্তদশ অধ্যায়
বুঢ়া-বুঢ়ীৰ বুকুত লাহৰী

সেই দিনা লাহৰীয়েও কমলক আৰু এবাৰ সাবটি ধৰিবলৈ কতবাৰ নো বাউলী হৈ হলি হলি পৰিছিল, তথাপি তেওঁ মনৰ সেই হাবিয়াস পূৰাবলৈ পাষণ্ডইঁতৰ হাতৰপৰা এবাৰ নোৱাৰিলে। নিৰুপায় হৈ, লাহৰীয়ে মানইঁতৰ ভৰিত পৰি পৰি আৰু এবাৰ মাথোন ক্ষন্তেকমান এৰি দিবলৈ কাবৌ কৰিবলৈ ধৰিলে। কিন্তু পাষণ্ডইঁতৰ অন্তৰত তো দয়া-মমতাৰ থানিকা নাই, ততালিকে সিহঁতৰ দুটা মানে লাহৰীক দুটা বাউসিত ধৰি উৰুৱাই নিয়া দি আঁতৰাই লৈ গল। সেই মুহূৰ্ত্তৰেপৰা বৰনৈৰ দাঁতি নোপোৱালৈকে লাহৰীৰ গাত সংজ্ঞা নাছিল, পাষণ্ডইঁতে সেইছোৱা বাট লাহৰীক শব এটা নিয়াৰ দৰে দাঙ্গি লৈ গৈছিল। ওচৰে ওচৰে গা লুকুৱাই পামপুৰীয়াও গৈ আছিল। মানইঁতে লাহৰীক ধৰোঁতেই বেলি ভাটী দিছিল, এতিয়া সন্ধিয়া হব লগা হলহি। তাৰ পাচত, বৰনৈ পাৰ হওঁ-হওঁ কৰোঁতেই গাৰ-নোম-নেদেখা গধূলি হল। এনে অসময়ত মানইঁতে পাৰ হওঁ নহওঁ কৰিছিল, কিন্তু পামপুৰীয়াই সিহঁতক বুজাই দিলে যে, ইপাৰে থকাৰ পৰা কাৰ্য্যত বিঘিনি লগাৰ আশঙ্কা। সেই কাৰণে, সিহঁতো সেই কথাত সম্মতি হল। কিন্তু, মানইঁতে অলপ উজাই আন এটা ঘাটে হে পাৰ হৈছিল, আৰু নাও কেৱল এখন হে আছিল। নাওখনত টানিমানি সাতোটা কি আঠোটা হে মানুহ ধৰে। গতিকে, প্ৰথম খেপত মূঠেই ছটা মানে পামপুৰীয়াৰে সৈতে লাহৰীক লৈ সিপাৰ হৈ ললে। তাৰ পাচত, খেপেপতি আঠোটা নটাকৈ মানইঁতে পাৰ হবলৈ ধৰিলে। এইদৰে তিনিকুৰি-দহোটা মান বৰনৈ পাৰ হওঁতেই দুপৰনিশা হল। লাহৰীয়ে সিপাৰ হবৰেপৰা বিপদৰ পূৰ্ণ গৰাহত পৰিল বুলি জানি, আকৌ শান্ত আৰু গহীন হৈ বহিলে। মনে মনে ধৈৰ্য্যতাৰ শৰণ লৈ তেওঁ টলকা মাৰি বহি গুণিবলৈ ধৰিলে। মানইঁতেও লাহৰীক মৰ্ম্মান্তিক বেজাৰত বিমোৰ হৈছে বুলি জানি, আন কোনো কথাকে নুসুধিলে। পামপুৰীয়া যে লাহৰীয়ে চিনি পায় বুলি কাষকে নচপা হল। আটাইবিলাক পাৰ হোৱাৰ পাচত, সিহঁতে ইয়াকে স্থিৰ কৰিলে যে, সেই ৰাতিলৈ বৰনৈৰ পাৰতে জিৰণি লোৱাই ভাল। পামপুৰীয়াও তাতে সম্মত হল। মানইঁতে সেই দিনা পলৰীয়া মানুহ বিচাৰোঁতেই আবেলি হৈছিল, ভাত-পানী খাবলৈ সিহঁতে আজৰি নাপালে। তাৰ আগৰ দিনাও দুদিনৰ বাট ডেৰদিনে আহি সিহঁতে বৰ দুখে-ভাগৰে আছিল। গতিকে আজি বৰনৈৰ পাৰত অতিপাত দুখ-ভাগৰত অৱশ হৈ পৰাত মাজনিশা ভাত-পানী খোৱাৰ কাৰবাৰলৈ সিহঁতে মন নকৰিলে, যেয়ে য'তে বহিল, সেয়ে ত'তে ঢাল খাই খাই পৰি গল। পামপুৰীয়া কিন্তু সবাতকৈ আগ। তাৰ পাচত, কুৰিটোমান টনকিয়াল মান মাথোন সাৰে আছিল। সিহঁতৰ ভিতৰত এনে নিয়ম বন্ধা হল যে, দুখন দুখন তামোল খোৱাৰ পৰলৈকে এটা-এটা মানুহে পহৰা দিব, তাৰ পাচত সি আকৌ আন এটাক তুলি দি শুব। এইদৰে স্থিৰ কৰি সকলোটি শুই পৰিল। লাহৰীয়েও ভাগৰত অস্থিৰ হোৱাৰ ভাও ধৰি, সিহঁতৰ দৰেই ঢাল খাই পৰি গল। কিন্তু, লাহৰীৰ চকুত টোপনি নাই, তেওঁ মনে মনে উদ্ধাৰৰ নানা উপায় চিন্তা কৰি সম্ভহতে পহৰীয়া কেইটাৰ গম গতিলৈ মন কৰি আছে। এইদৰে দুটা কি তিনিটা মানুহৰ পহৰা পাৰ হৈ গল, তাৰ পাচত এটা বুঢ়া কানীয়া মানুহৰ পাল পৰিল। বৰকৈ ভাগৰ লগাত বুঢ়াই সেই দিনা গধূলিতে কানি এফেৰা বেচিকৈ গিলিছিল। গতিকে, কানি আৰু টোপনিৰ জালত বুঢ়াই বহি থাকোঁতেই জপৰ্ জপৰ্ টোপনিয়াবলৈ ধৰিলে। লাহৰীয়েও সেই কালেই নিটাল মাৰি ভৰ-টোপনিৰ ভাও জুৰিলে। বুঢ়াই লাহৰীৰ ফালে বাৰচাৰেক মন কৰি চাই আপোনা-আপুনি কবলৈ ধৰিলে, "এঃ, সৰু ছোৱালী, এনে ৰাতি নো কলৈ যাবঐ! এতিয়াতো তাইৰ বৰ ভৰ টোপনি, ময়ো অলপ কাতি হৈ চাই থাকুং দে।" এইবুলি অলপ পৰ চাই থাকি, সেইকালেই বুঢ়া টোপনি গল। গতিকে, তাৰ পাচৰ

পহৰীয়াক তুলি দিওঁতাও নোহোৱা হল। লাহৰীয়ে পৰি থকাৰেপৰা কাণসাৰ দি ঘনে ঘনে গম্ লবলৈ ধৰিলে। তাৰ পাচত, এখনমান তামোল খাবৰ পৰলৈকে লাহৰীয়ে নিটাল মাৰি শোৱাৰ ভাও ধৰিয়েই আছে, এনেতে বুঢ়াটিৰ নাকে ঘঁট্-ঘঁট্‌কৈ ভৰ-টোপনিৰ তাল ধৰি শুনালে। লাহৰী এইবাৰ লাহেকৈ উঠি বহিল। ভয় আৰু উলাহত লাহৰীৰ গা ঘামিবলৈ ধৰিলে। তেওঁ ইফালে-সিফালে কাণ পাতি শুনিলে, চাৰিওফালে একে তালতে ডাৱৰীয়া ভেকুলীযে টোৰ্-টোৰোৱাৰ দৰে ঘঁৰত্ ঘৰত শব্দ তুলি মানহঁতে শুই নিঃপালি দিয়া বুজাইছে। বহি থাকিবৰ আৰু সময় নাই, লাহৰীয়ে এইবাৰ মৰণত শৰণ দি থিয় দিলে। তাৰ পাচত, তেওঁ এখুজি-দুখুজিকৈ আহি ওচৰৰ হাবি এজোপা পাৰ হলহি। লাহৰী আচল বাটে আৰু নগল, তেওঁ আও-হতীয়াকৈ হাবিয়ে হাবিয়ে বৰনৈৰ উজনিৰ মুখে লৰালৰিকৈ উজাবলৈ ধৰিলে। এইদৰে দুখনমান তামোল খাবৰ পৰ গৈয়ে তেওঁ এখন পথাৰ ওলালগৈ। তাৰ পাচত আৰু লাহৰীয়ে উজাবলৈকো কাৰবাৰ নকৰিলে, সেই পথাৰখনৰ দক্ষিণমুৱাকৈ তেওঁ প্ৰাণকাতৰে লৰিবলৈ ধৰিলে,— পথাৰখনপাৰ নোহোৱালৈকে লৰিলে। আৰু কিমান লৰিব, নিধাতু হৈ ভাগৰত লুটি খাই পৰি সেই ফালেই লাহৰী মুছৰ্কছ গল। পৰিল বুলিও, জিৰাবলৈ সময় নাই, পিচ মুহূৰ্ত্ততে তেওঁ আকৌ উঠিল। আকৌ এখন হাবি। লাহৰীয়ে নো কলৈ লৰিছে তাৰ উৱাদিহ্ পোৱা নাই, তেওঁ কেৱল মানহঁতৰপৰা আঁতৰ হবলৈ হে চাইছে। লাহৰী আকৌ হাবি সোমাল। হাবিৰ ভিতৰত তেওঁ যিমান বেগাই যাব পাৰে, গৈছে। এইদৰে কোবাকুবিকৈ সেই হাবিৰ ভিতৰে ভিতৰে দহ নলমান বাট গৈছে, এনেতে লাহৰীযে গছৰ পাতৰ তলে দি দুটা তৰা জিলিকি থকা দেখিলে। দেখি যাওঁতেই লাহৰীয়ে অলপ চঁক্ খাইছিল, কিন্তু তালৈ আৰু তেতিয়া তেওঁ কি মৰ্ন কৰিব! লাহৰীয়ে গছ-লতা ভাঙ্গি আগুৱাবলৈ হে ধৰিলে। কিন্তু, হাঁয়, সেইটো যে বাঘ! লাহৰীয়ে মন নকৰি ভালকে কৰিলে। এইদৰে যাওঁতে যাওঁতে তেওঁ আকৌ এখন পথাৰ ওলাল গৈ। মুকলি পাই লাহৰীয়ে আকৌ উধাতু খাই লৰিবলৈ ধৰিলে। লৰি লৰি পথাৰখন পাৰ হওঁ হওঁ হওঁতেহে পেটৰ বিষত থমকা খাই পৰি, লাহৰী আকৌ সেই ফালেই মূৰ্চ্ছা যোৱাৰ দৰে হল। এইবাৰ লাহৰী ভালেখিনি পৰলৈকে উঠিব নোৱাৰা হৈ পৰি আছিল, কিন্তু মনৰ তেজে গাত বল দিয়াত তেওঁ আকৌ উঠি বাট খেদিবলৈ ধৰিলে। এইবাৰ হাবি নাই। বিৰিণাৰ জোপা গোটাচাৰেক পাৰ হৈয়ে তেওঁ এখন গাওঁ পালেগৈ। সিমানতে লাহৰীৰ গা অলপ গহীন হল, তথাপি ভয় যোৱা নাই। তেতিয়াও বেগাবেগিকৈ তেওঁ উজনিৰ মুখে যাবলৈ ধৰিলে। এইদৰে যাওঁতে যাওঁতে লাহৰী দুখন পথাৰ আৰু তিনিখন গাওঁ পাৰ হৈ গল। তাৰ পাচত, লাহৰীৰ মনৰপৰা ধৰা-পৰাৰ ভয় আঁতৰ হবলৈ ধৰিলে। পাষণ্ডহঁতৰ হাত সাৰিলোঁ বুলি ভাবি লাহৰী এফেৰি উলাহিত হল, আৰু সকলো দুখ-ভাগৰ তেওঁ ক্ষন্তেকৰ নিমিত্তে পাহৰি গল। এইদৰেই আৰু এখনমান তামোল খাবৰ পৰ যাওঁতেই ৰাতি পুৱাই আহিল। লাহৰীয়ে ভাবিলে, বহুত বাট আহিলোঁ। বাস্তৱতে, বহুত বাট যোৱাও হয। এতিয়া আৰু পাষণ্ড-হঁতে তেওঁক নাপায়হি। আৰু অলপ বাট গৈয়ে তেওঁ এখন মুকলি ঠাইত ওলালগৈ। লাহৰীয়ে তাতে এজোপা গছৰ তলত বহি, অলপ জিৰাবৰ মন কৰিলে। বহু ভাগৰেৰে বহি লাহৰীয়ে ভৰিলৈ চাযচোন, একেবাৰে ৰাঙ্গলী হল! গোৰোৱা ফাটি তেজ ওলাইছে! ভৰিৰ তলুৱাৰ ছাল ছিগি পোৰণিত ভক্‌ভকাইছে! দুইটি ভৰি ভম্‌ভমাবলৈ ধৰিছে। এইদৰে লাহৰীয়ে গাৰ বেদনালৈ মন কৰা মাত্ৰকে বিষ দুগুণ হৈ উঠিল। অন্তত, তৰণি নাপাই লাহৰীয়ে উচুপি উচুপি কান্দিবলৈ ধৰিলে। বেলি দুঠালৈকে সেই গছৰ তলতে কান্দি কান্দি তেওঁ বহিয়েই থাকিল। দেহিঐ, দেখিলেই হিয়া বিদৰি যায়! কোনো দিন এনে দুখ পোৱা হে নালাগে, বাহিৰলৈ নোলোৱা লাহৰীৰ সুকোমল শৰীৰত নো এনে কষ্ট সয় নে! ভৰিলৈ চায়মানে তেওঁৰ শোকৰ খুন্দা টান হবলৈ ধৰে, লাহৰীয়ে ফেঁকুৰি ফেঁকুৰি কান্দি উঠে! কিন্তু, এনে বিপদত গাৰ বেদনালৈ চালে হব নে?—তেওঁ আকৌ উঠি গাওঁ বিচাৰি যাব লগাত পৰিল। দেহিঐ, খোজ কঢ়া হে নালাগে,

লাহৰীয়ে মাটিত ভৰি পেলাবই নোৱাৰা হল, আকৌ নো লাহৰী কেনেকৈ যায়! কিন্তু নগলেওতো নহয়, অগত্যা আকৌ উঠি পেঙুৰিয়াই-পেঙুচিয়াই লাহৰীয়ে আগুৱাবলৈ ধৰিলে। হওঁতে সৰহ বাট যাব লগা নহল; সৰু পথাৰ এখনি পাৰ হৈয়ে লাহৰী আকৌ এখন গাৱঁত সোমাল গৈ। তিনি-চাৰি ঘৰমান মানুহৰ ঘৰলৈ গৈ বাহিৰত মানুহ নেদেখি তেওঁ উলটি গুচি গুচি যায়। এইদৰে কেঘৰমান এৰাই গৈ, তেওঁ আৰু এঘৰত বাহিৰৰ চ'ৰাত বহি থকা বুঢ়া এটিক দেখা পালে। লাহৰীয়ে লাহে লাহে বুঢ়াটিৰ ওচৰতে থিয় দিলেগৈ। বুঢ়াটিক দেখোঁতেই ভাল মানুহ বুলি চিনিব পাৰি। তেওঁ লাহৰীক দেখিয়েই অলপ পৰ ঠৰ্ লাগি চাই থাকি সুধিলে, "আই! তই নো ক'ৰপৰা আহিছ, কি লাগে?" লাহৰীয়ে উত্তৰ দিলে, "বুঢ়া-দেউতা, মই বহুত দূৰৈৰপৰা বহুত ভাগৰত আহিছোঁ। আচল কথা পাচে হে ভাঙ্গি কব পাৰিম, মই আজিলৈ আপোনাৰ ঘৰতে জিৰাব খোজো।" এনেতে ভিতৰৰপৰা বুঢ়ী এটি ওলালহি। বুঢ়ীয়ে থিয় হৈয়েই লাহৰীক সুধিলে, "দেহিঐ, ক'ৰপৰা আহিছ আই, তই?" লাহৰীয়ে বুঢ়াক দিয়া উত্তৰকে তেওঁক শুনালে। লাহৰীৰ কথা শুনি বুঢ়ীৰ বৰ বেথা লাগিল, তেওঁ অতি চেনেহেৰে সমিধান দিলে, "থাকহি আই, আজি হে নালাগে দহ দিনো থাকহি।" এই বুলি, বুঢ়ীয়ে লাহৰীক লগত লৈ ভিতৰ সোমালেগৈ।

ইফালে ৰাতিপুৱা এডাঁৰ বেলি উঠালৈকে মানইঁত আটাইবিলাক শুয়ে আছে। তাৰ পাচত, পামপুৱীয়াই উঠি চকু-মূৰ মোহাৰি চায়, দেখোন লাহৰী নাই! তেওঁ মান গোটাচাৰেকক জগোৱাই দি এই কথা কোৱা মাত্ৰকে আটাইবিলাকে কোঢাল কৰি হুলস্থুল লগাবলৈ ধৰিলে। কিছুমান পৰ ইটোৱে-সিটোক দায় দিয়া দিয়ি কৰি, আটাইবিলাকে চাৰিওফালে পিয়াপি দি আকৌ বিচাৰিবলৈ ধৰিলে। ধোদ্ পাৰণ্ডইঁতে এতিয়া আৰু লাহৰীক ক'ত পায়! লাহৰী যে এতিয়া বুঢ়া-বুঢ়ীৰ বুকুত! চাৰিওফালে বিয়াকুল হৈ দুপৰীয়ালৈকে বিচাৰি নাপাই, আকৌ আটাইবিলাক আগৰ ঠাইতে গোট খালেহি। তাৰ পাচত, সিহঁতে কি কৰিব কি নকৰিব বিবুদ্ধি হৈ পামপুৱীয়াক বুলি সুধিলে। পামপুৱীয়াই আৰু আন উপায় কি দিব! ৰত্নেশ্বৰক এই ঘটনাৰ কথা জনাবলৈকে তেওঁ স্থিৰ কৰিলে। সদৌশেহত পামপুৱীয়াৰ কথা মতেই মানইঁত লঘোনে-ভোকে ৰত্নেশ্বৰৰ ঘৰলৈ যাবলৈকে ওলাল। ৰত্নেশ্বৰৰ ঘৰৰ ওচৰ পাই, পামপুৱীয়াই মানইঁতক জোপা এটাৰ ওচৰতে থাকিবলৈ দি, তেওঁ ৰত্নেশ্বৰক মাতি আনিবলৈ গল। কিন্তু, পামপুৱীয়াই ঘৰ পাই দেখেগৈ দেখোন ৰত্নেশ্বৰৰ ঘৰ-দুৱাৰ বন্ধ। ওচৰ-চুবুৰীয়াক সোধাত জনা গল যে, দহ দিন-মানৰেপৰা তেওঁ ঘৰত নাই। পামপুৱীয়াই ভাবিলে যে, ৰত্নেশ্বৰে টকা দিয়াৰ ভয়ত হে পলাইছে। এই ভাবি, ভয়ত তেৱোঁ পলাবৰ উপায় ভাবিবলৈ ধৰিলে। কিন্তু, মানইঁত সেই পাকত সিমান অজনা নহয়। সিইঁতে পামপুৱীয়াৰ পিচে পিচে তিনিটা মানুহ চোৰাংকৈ পঠিয়াই দিছিল। পামপুৱীয়াই ইফালে-সিফালে চাই বেগাবেগিকৈ পলাবৰ উপক্ৰম কৰোঁতেই, মানইঁতে বুজিব পাৰিলে। সিইঁতে একে খেদাই গৈ তেওঁক ধৰি আনি সিইঁতৰ লগৰীয়াবিলাকৰ ওচৰলৈ লৈ আহিলে। আৰু, পামপুৱীয়াৰ মুখে ৰত্নেশ্বৰ পলোৱাৰ কথা শুনা মাত্ৰকে লঘোনীয়া মানইঁতৰ খং মূৰত উঠিলগৈ। তিনদিনীয়া লঘোনত আবৰীইঁত একেবাৰে খাওঁ খাওঁ মূৰ্ত্তি হৈ আছিল, পামপুৱীয়াৰ মুখৰ কথা শুনা মাত্ৰকে সোধ-পোছ নাই, সিইঁতে কপি দা উলিয়াই তাক টুকুৰা-টুকুৰকৈ কাটি পেলালে! সদৌশেহত, মানইঁতে দুখ, ভাগৰ আৰু বেজাৰকে বঁটা স্বৰূপে লৈ ঘৰলৈ উলটি ভাগৰুৱা খোজ ধৰিলে।

এই ছেগত আমিও লাহেকৈ লাহৰীৰ নতুন চিনাকী বুঢ়া-বুঢ়ীৰ ঘৰলৈ ওলটোঁ। এই বুঢ়া-বুঢ়ী দুটি সতি-সন্তান-শূন্য, একেবাৰে নিচুৱীয়া, সংসাৰৰ বিষময় ফল ভোগ কৰি, উজনি নগৰৰপৰা ভাগি আহি, আজি ভালেমান বছৰ এওঁবিলাক এই ঠাইতে বসতি কৰি আছেহি। সন্তান বুলিবলৈ একেটি মাথোন পুত্ৰ আছিল; তাকো যি বিধাতাই দিছিল, সেই বিধাতায়ে অকালতে হৰি নিলে। এতিয়া আৰু ঘৰৰ বন-বাৰি কৰা গোটাচাৰেক লগুৱাত বাজে বুঢ়া-বুঢ়ীৰ কোনো নাই। লাহৰীকে যেন তোলনীয়া সন্তান কৰি সিবিলাকে বুকু জুৰাবলৈ পাব, দুইৰো অন্তৰত

স্বভাৱতে এনে এটি কৰুণ ভাবে থিত্ ললে। কিন্তু, অন্তৰৰ গুপুত ভাব গুপুতেই আছে; তাক ফুটাই কৰলৈ সিবিলাকে এতিয়াও ছেগ পোৱা নাই। ইচ্ছাময়ৰ ইচ্ছাত যেন বুঢ়া-বুঢ়ীৰ সৰল কামনা পূৰ্ণ হওক। লাহৰীৰপৰাই যেন সিবিলাকৰ শুকান হিয়াত অপত্য স্নেহ পুনৰ সঞ্চাৰ হওক। সেইদিনা ঘৰৰ কথা সোধোঁতে লাহৰীয়ে পামপুৰত বুলি কলে হয়, কিন্তু বিশেষ কথা ভাঙ্গি নকলে। লাহৰীৰ আতুৰ অৱস্থা দেখি সিবিলাকেও কোনো কথা পিটিকি নুসুধিলে। আলহী ভাৱেই লাহৰী কুৰি দিনমান থকাৰ পাচত, বুঢ়ীয়ে তেওঁক সুধিলে, "আই, তই নো মোৰ বুকু জুৰাই ইয়াত কিমান দিনলৈ থাকিবি?" সেই কথাৰ উত্তৰত লাহৰীয়ে কলে যে, যেতিয়ালৈকে আকৌ ঘৰলৈ যাবলৈ সুবিধা নোলায়, তেতিয়ালৈকে তেওঁ বুঢ়া-বুঢ়ীৰ বুকুতে থাকিব। সেই কথা শুনি বুঢ়ীৰ মনত আনন্দে নধৰা হল, তেওঁ মনে মনে চিন্তিলে, যেন লাহৰীৰ সেই সুবিধা কোনো কালে নোলাওক! তাৰ পাচতো লাহৰীয়ে সেই বুঢ়া-বুঢ়ীৰ তোলনীয়া জীয়েকৰ দৰে ভালেমান দিন আছে, তথাপি তেওঁ নিজৰ আচল চিনাকি দিয়া নাই। কীৰ্ত্তিনাথ গোহাঞিৰ নাম লোৱা হলেই, বুঢ়া-বুঢ়ীয়ে সকলো কথা জানি উঠিলহেঁতেন। লাহৰীয়ে ইমান দিনে তাকে কোৱা নাই। কিন্তু হায়, চিনাকি দিয়াৰেপৰা সোনকালে তেওঁৰ উদ্ধাৰ হোৱা যেন গম্ পোৱা হলে, লাহৰীয়ে কেতিয়াবাই দেউতাকৰ নাম কৈ দিলেহেঁতেন। তেওঁৰ দুখময় জীৱনৰ প্ৰকৃত কাহিনী কোৱাৰপৰা তেওঁৰ প্ৰাণৰ প্ৰাণ কমলক পুনৰ লগ পোৱাৰ অলপো সঙ্কেত্ পোৱা হলেই, লাহৰীয়ে সকলো কথা ভাঙ্গি কবলৈ কেতিয়াও পলম নকৰিলেহেঁতেন। লাহৰীয়ে নাজানি মাথোন নিজৰ উপকাৰ কৰোঁ বুলি অপকাৰ কৰিছে। ইমান দিনে লাহৰীয়ে মনৰ বেজাৰত তৰণি নাপায় যদিও, নিজৰ বেজাৰৰ কথা কাকো নকয় আৰু ভাব-ভঙ্গী আকাৰে-ইঙ্গিতেও অন্তৰৰ ভাব আনক জানিবলৈ নিদিয়ে। এতিয়া আৰু লাহৰী ঘাই ঘৰত থকাৰ দৰে নহয়, এতিয়া লাহৰী খোজেপতি সাৱধান। তথাপি, কেতিয়াবা অকলে অকলে থাকোঁতে, লাহৰীয়ে তেওঁৰ প্ৰাণৰ প্ৰাণ কমল আৰু মৰমৰ আইতাক-দেউতাকলৈ মনত কৰি উচুপি উচুপি কান্দিবলৈ ধৰে। ইফালে বুঢ়ীয়ে আকৌ লাহৰীৰ লগ নেৰেই; সদায় আগৰ দিনৰ মান ভগনীয়া কথা পাতি তেওঁ লাহৰীক ভোল নিয়াই থয়।

এইদৰেই আৰু ভালেমান দিন পাৰ হৈ গল। এদিন সেই গাৱঁতে এখন বিয়া হৈছিল। তালৈকে আমাৰ বুঢ়া-বুঢ়ীৰ ঘৰতো নিমন্ত্ৰণ পৰিলহি। বুঢ়ীয়ে ভাবিলে, তেওঁ নো কি যাব, লাহৰী ঘৰৰ জীয়াৰী, লাহৰীয়ে যাওক। এনে ভাবি বুঢ়ীয়ে অলঙ্কাৰ-পাতি উলিয়াই দি, লাহৰীক মাতি আনি পিন্ধি-উৰি বিয়ালৈ যাবলৈ কলে। লাহৰীয়ে বিয়াৰ নাম শুনা মাত্ৰকে তৰ্কিব নোৱাৰাকৈ জিকাৰ খাই উঠিল। তাৰ পাচত, নিজৰ অন্তৰৰ ভাব প্ৰকাশ পোৱা যেন গম্ ধৰি বুঢ়ীৰ ফালে অলপ পৰ ঠৰ্ হৈ চাই থাকোঁতেই, কেতেকী ফুলৰ পাহি যেন লাহৰীৰ দুগালে মুকুতাৰ পানী যেন দুধাৰি চকু লো বৈ পৰিল। লাহৰীৰ মনত যে কিবা মৰ্ম্মান্তিক বেদনা আছে, বুঢ়ীয়ে ইমান দিনলৈকে জনা নাছিল। আজি লাহৰীৰ মনৰ গতি গম্ ধৰি কৰুণ ভাবত বুঢ়ী বিগলিত হল। বুঢ়ীয়ে লাহৰীৰ হাত দুখনিত ধৰি আতুৰভাবে, শপত দি, কন্দাৰ কাৰণ সুধিবলৈ ধৰিলে। কিন্তু, লাহৰীক সিমানতো নিটাল মাৰি থকা দেখি, বুঢ়ীয়ে হুমুনিয়াহ কাঢ়ি মনটি আমোলাই পেলালে। অতি কোমল অন্তৰা লাহৰীৰ কোমল হিয়া বুঢ়ীৰ মুখ-আমোলনিয়ে পমাই নিলে। বুঢ়ীয়েও আকৌ এবাৰ কাবৌ কৰি লাহৰীক নিজৰ জাঁতিগুৰিৰ কথা ভাঙ্গি কবলৈ বৰকৈ ধৰিলে। এই-বাৰ আৰু লাহৰীৰ কোমল প্ৰাণে সহিব নোৱাৰিলে। লাহৰীৰ মনত পৰাৰেপৰা বৰ্ত্তমানলৈকে নিজৰ অৱস্থাৰ বিষয়ে তেওঁ ভাঙ্গি-পাতি কৈ, অলপ পৰ বৈ থাকি আকৌ হুমু-নিয়াহ এটি কাঢ়ি কান্দিবলৈ ধৰিলে। ইফালে বুঢ়ীয়েও কিবা কথা বাকী ৰল বুলি ভাবি আকৌ বেচিকৈ পেৰিবলৈ ধৰিলে। লাহৰীয়ে আগডোখৰত কেৱল দেউতাক, আই-তাক আৰু তেওঁৰ নিজৰ কথা হে কৈছিল। তেওঁৰ বেজাৰৰ ঘাই কাৰণ তেওঁ তেতিয়াও উনুকিয়া নাছিল। বুঢ়ীয়ে বৰকৈ টানি ধৰিবৰ দেখি, তেওঁ জয়ে-জয়ে কমল নামেৰে এটি ল'ৰাৰে সৈতে তেওঁৰ কি সূত্ৰে চিনাকি হল, ক্ৰমাৎ দুইকো দুয়ো নো কিমান ভাল পোৱা হল, এইখিনি কথা

বৰ্ণাবলৈ ধৰিলে। লাহৰীৰ কথা শুনি শুনি ইফালে বুঢ়ীৰ চকু চল্‌চলীয়া হৈ আহিল। তাৰ পাচত, লাহৰীয়ে কমলৰ আঁতি-গুৰি ভাঙ্গি-পাতি কবলৈ আৰম্ভ কৰিলে। লাহৰীয়ে কমলৰ মুখৰপৰা তেওঁৰ উৎপত্তিৰ কথা যি শুনিছিল, সকলো ভাঙ্গি-পাতি কবলৈ ধৰিলে। শুনি শুনি বুঢ়ীৰ আৰু সহ্য নহল; লাহৰীয়ে কমলৰ ল'ৰাকালৰ কথা বৰ্ণাই শেষ কৰিবলৈ নৌ পাওঁতেই বুঢ়ীয়ে "ঔ, ডাঙৰীয়া, এই ফালে চাপি আহক ঔ, লাহৰীয়ে কি শুনায়ঔ!" এই বুলি সেই ফালেই পৰি বুঢ়ী মূছকঁছ্ গল! বুঢ়ীৰ চিয়ঁৰ শুনি উধাতু খাই বুঢ়া আহি উপস্থিত। বুঢ়াই লৰালৰিকৈ কি হল, কি হল বুলি সোধাত, লাহৰীয়ে বুঢ়ীক কমলৰ বিষয়ে কোৱা কথাখিনি বেগাবেগিকৈ যি পাৰে অলপ কৈছে, এনেতে বুঢ়ায়ো "আইঐ, মোৰ আই, কি শুনালিঐ!" বুলি লাহৰীক গৰা মাৰি ধৰি কান্দিবলৈ ধৰিলে। হঠাৎ হিতে বিপৰীত ঘটিবৰ দেখি, লাহৰী বিচূৰ্ত্তি হৈ মনৰ উগুল-থুগুল ভাবত মমৰ পুতলাটিৰ দৰে ঠৰ্ লাগি ৰল!

অষ্টাদশ আধ্যা

জয়ন্তীৰ বিয়া

ৰত্নেশ্বৰ সেই দিনা খঙৰ বেগত জয়ন্তীহঁতৰ ঘৰৰপৰা ওলাই আহিল। আধা মাইলমান বাট সেই একেটা কোবেৰেই ফোঁ ফোঁকৈ তেওঁ ঘৰমুৱা হৈ আঁতৰ হ'ল। সেইছোৱা বাট ৰত্নেশ্বৰক এটা অৰ্থশূন্য খঙে ওফৰাই লৈ গ'ল। তাৰ পাচৰপৰা দেখোন পিচ ফালৰপৰা ৰত্নেশ্বৰৰ চুলিত ধৰি কিবা এটি আকৰ্ষণী ভাবে লাহে লাহে টানিবলৈ ধৰিলে। লাহে লাহে ৰত্নেশ্বৰৰ ঘৰ্-চিৰিকা খোজে ৰাজহংসীয়া গতি ধৰিলে। পিচত যোৱা ভাৰীটোৱে কানত মেট্‌মৰা ভাৰখন লৈ কন্যা-খোজ ধৰিব লগাত পৰিল। তাৰ পাচত আকৌ ৰত্নেশ্বৰ ডুপৰীয়া, গুন্দা হাতীৰ দৰে, যাওঁ নাযাওঁকৈ অগা-পিছা খোজ ধৰা হ'ল, একো-একোবাৰ আলহী হৈ থকা ঠাইত কিবা এটা এৰি অহাৰ ভাৱে পিচলৈ উভতি সুৰ্বৰি চাই ৰত্নেশ্বৰ মাজবাটতে টলকা মাৰি ৰয়। লাহে লাহে ৰত্নেশ্বৰৰ এই ৰোগ প্ৰবল হৈ উঠিল; এনল বাট যাওঁতেই তিনি চাৰি বাৰকৈ ৰোগৰ বিকাৰ উঠা হ'ল। শেহান্তত, লগুৱাটোৱে কানৰ ভাৰ সহিব নোৱাৰি পিচৰপৰা মাত লগালে, "দৌতাই নো এইখন কি আওপকীয়া খোজ ধৰিছেঐ! সঁচা কৈছোঁ, এনে ধেমালি মোৰ কানে নসহে, মই ভাৰ ইয়াতে পেলাম হে এতিয়া!" ৰত্নেশ্বৰে অলপ হুঁচ্ পাই সমিধান দিলে, "অ, হয়, তোৰ কান্ধে টান পৰিছে; তই তেন্তে আগ হ, ব'ল, মই পিচে পিচে গৈ থাকোঁ।" সেই অনুমতি ৰত্নেশ্বৰৰ মুখৰপৰা আধা ওলাব হবলৈ পালে, লগুৱাই ততালিকে আগ হৈ ভূগৰুৱা গতিৰে আগুৱাবলৈ ধৰিলে। ৰত্নেশ্বৰেও আকৌ এখনমান তামোল খাবৰ পৰলৈ লগুৱাৰ পিচে পিচে খৰ খোজেৰে যাবলৈ ধৰিলে। কিন্তু, উদ্ফালে ৰোগৰ দ.ৰ পিচফালৰ সোঁৱৰণীয়ে ৰত্নেশ্বৰৰ প্ৰাণৰ ভিতৰত আকৌ উজান ভাটী লগাবলৈ ধৰিলে, ৰত্নেশ্বৰে পৰ্ব্বৰ ত আকৌ মৰাল গতি ধৰিলে। এইবাৰ আলহী হৈ থকা ঘৰত কিবা এৰি অহালৈ বৰকৈ মনত পৰা হ'ল! ৰত্নেশ্বৰে ঘনে ঘনে উলটি উভতি চায় আৰু মূৰ খজুৱায়; তাৰ পাচত তেওঁ ডুখোজমান গুণ্ডনি খোজ দিয়ে। এইদৰে ভাগেখিনি পৰলৈকে উজনি ভাটী কৰি থাকোঁতে সিফালে লগুৱা-ভাৰীৰ গা নেদেখাই হ'ল। ৰত্নেশ্বৰে আকৌ অলপ হুঁচ্ পাই মূৰ দাঙ্গি চায়, দেখোন লগুৱাক মণিব নোৱাৰা হ'ল। বহু দূৰণিত কোনোবা এটাক ৰিণিকি ৰিণিকি দেখা গৈছে, সি বা কোন, আহিছে, নে গৈছেই তাকো চিন্ নাই। লগুৱাৰ লেঠাৰ হাত সাৰি এইবাৰ ৰত্নেশ্বৰ বহিয়েই পৰিল! লগুৱাৰ ভাবনা এৰি ৰত্নেশ্বৰে উপস্থিত ৰোগত আসন্ন বিপদ গুচোৱা ঔষধিৰ ভাবনাত লাগিল। বহি জিৰোৱা গছৰ তলতে ৰত্নেশ্বৰ ভালেমান পৰ বহিল, তেওঁ ভালেমান ভাবিলে, কোনো উপায়ান্তৰ নেদেখি, উঃ আঃ কৰি, তেওঁ চাটিফুটি কৰিবলৈ ধৰিলে। এইদৰেই এভাৰমান বেলি গ'ল, এনেতে ৰত্নেশ্বৰৰ চকু ৰঙা হৈ উঠিল, মুখত তেজ বিৰিঙ্গি পৰিল, বুকু কিন্দ খাই উঠিল, তাৰ পাচত দাঁত কৰচনি মাৰি ৰত্নেশ্বৰ গিৰিপ্‌কৰে উঠিল! উঠিল, আৰু তাত থিয় নহল; উলটি বেলি ভাটী দিয়াৰ পৰত জয়ন্তীহঁতৰ ঘৰৰ ওচৰৰ গাৰঁৰ এজনী ধাৰী-ডগুনী তিৰোতাৰ ঘৰত আলহী হৈ নচপালৈকে, ৰত্নেশ্বৰে উভতি

আকৌ ঘৰ্-চিৰিকা খোজ ধৰিলে। সিফালে ঘৰমুৱা লগুৱাই কোবাকুবিকৈ বাট খেদিবলৈ ধৰিলে ; গৈ গৈ সি গাওঁ সোমোৱা দেখা গ'ল, কিন্তু তাক ৰত্নেশ্বৰৰ চোতালত ভৰি দিয়া দেখা নগল।

এমুৰীয়া অকলশৰীয়া বাঁৰীৰ ঘৰতে ৰত্নেশ্বৰ আজি ভালেমান দিনো আছে। তাৰ পাচত দেখা যায় যে, তেজ, মাংস, অন্তৰ আৰু কাৰ্য্যেৰে ৰত্নেশ্বৰেই, কিন্তু সাজ-পাৰ, চলন-ফুৰণ, আও-ভাও ইত্যাদিলৈ চাই তেওঁ যেন এটা হজুৱা গাৱঁলীয়া, যেন সেই বাঁৰীৰে চপনীয়া-মতা। কি অৰ্থে, কি কাৰ্য্যেৰে ৰত্নেশ্বৰে এইদুৰে প্ৰবাস খাটিছে বুজা নাযায়। ঘৰৰপৰাও তেওঁ বৰকৈ নোলায়। কিন্তু, বাঁৰী-বাইক হলে কেদিনমানৰপৰা জয়ন্তীইঁতৰ ঘৰলৈ ঘনাই যোৱা-অহা কৰা দেখিছোঁ। তাইৰ নো কি উদ্দেশ্য, কি কাৰ্য্য কোনেও বুজিব পৰা নাই। তাই মুঠেই বিষয়ানীৰ ওচৰত ছালি খাবলৈ পাণ এবিৰা, চূণ অকণ, খুদ্‌চাউল এমুঠি, শাক এডাল, লোণ এজেৰা, ইয়াকে বিচাৰেহি, তাই উলটিবৰ বেলিকা এবাৰ জয়ন্তী আইদেউৰ ওচৰত সোমাই দুটা-চাইটা কথা পাতেগৈ আৰু তেওঁ লিখি পেলাই দিয়া কাকত-পত্ৰ কিবা-কিবি বান্ধিবলৈ বুলি বুটলি লৈ যায়। জয়ন্তী আইদেৱো বৰ ধেমেলীয়া গাভৰু, তেওঁ গাৱঁৰ তিৰোতাৰে সৈতে ধেমেলীয়া কথাবাৰ্ত্তা পাতি বৰ ভাল পায়। বাঁৰী বাই দেখাত হে এলাইজ্‌পৰী, তাইৰ কথাবিলাক বৰ ৰং লগা। সেই কাৰণে, তাই সোনকালে জয়ন্তী আইদেউৰ ওচৰত লাগী হৈ উঠিল। বাঁৰী বাই সদায় যায়, সদায় আহিবৰ সময়ত জয়ন্তীৰ মুখৰপৰা, "কাইলৈকো আহিবা দেই বাই," এই আৱাৰি মিঠা মাত পাই আহে। পাচলৈ বাঁৰী বায়ে জয়ন্তীৰ অতি গুপুত প্ৰেমৰ কথাবাৰ্ত্তাৰো ভাগ পোৱা হল। পূৰ্ণ গোহাঞিদেৱ ঘৰলৈ উভতি যোৱা আজি কুৰি দিনমান হৈছে। তেওঁ থাকোঁতে দুইৰো ভিতৰত গুপুতে কেনেকৈ পত্ৰ চলিছিল, এতিয়াও তেওঁ নাম-ধাম-ঠিকনা লিখি দি যোৱা লেফাফাত ভৰাই মানুহৰ হাতত কেনেকৈ চিঠি চলাচল কৰা হয়, তাৰো বাঁৰী বায়ে সন্তেদ্ পোৱা হ'ল। মাজে মাজে পূৰ্ণ গোহাঞিদেৱইঁতৰ ঘৰৰ ফালে কোনো কামত যাবলৈ ওলোবা মানুহৰ সন্তেদ্ দি সেই মানুহৰ হাতত দি পঠিয়াবলৈ জয়ন্তী আইদেউৰ চিঠিও বাঁৰী-বায়ে গোপনে নিয়াহি হ'ল। বাঁৰীবাই চাপিবৰপৰা জয়ন্তী আইদেৱে চিঠি পঠিওৱাত বৰ সন্তা পাইছে, কিন্তু পূৰ্ণ গোহাঞিদেৱৰপৰা তাৰ উত্তৰত চিঠি-পত্ৰ অহাত হে বিসঙ্গতি ঘটিবলৈ ধৰিছে।

বাঁৰীৰ গাত আঁৰ লৈ ৰত্নেশ্বৰ একেদৰেই তাতে আৰু কিছুমান দিন আছে। এনে সময়তে, যোৰহাটৰপৰা পূৰ্ণ গোহাঞিদেৱ বৰ খং-বেজাৰেৰে হঠাৎ জয়ন্তীইঁতৰ ঘৰত ওলালহি। তেওঁ থিয় হৈয়েই জয়ন্তীৰ আইতাকক লগ পাবৰ নিমিত্তে লিগিৰাক ভিতৰলৈ পাচিলেহি। আন দিনাৰ দৰে তেওঁ মুখ, হাত, ভৰি ধুই নিজৰ ঘৰৰ দৰে আসন লৈ নবহি, অচিনাকি আলহীৰ দৰে পাৰি থোৱা চালপীৰা এখনতে বহিল। পূৰ্ণ গোহাঞিদেৱ অহা শুনিয়েই জয়ন্তীৰ মন আনন্দত নাচি উঠিল। তেওঁ পিচ-চোতালৰপৰা লৰালৰিকৈ আহি জুমিবলৈ ধৰিলে। কিন্তু, গোহাঞিদেৱৰ ৰঙা চকু-পকোৱা আৰু কপালৰ গাঁঠি খোপা হোৱা দেখি তেওঁৰ সেই আনন্দ মনতে মাৰ গল। আৰু, উগুল-থুগুল ভাবত তেওঁ তাৰপৰা অলপ আঁতৰ হল। আইতাকে ওলাই আহি লৰালৰিকৈ ভাবী-জোৱাঁয়েকক অভ্যৰ্থনা কৰিবলৈ খৰধৰ কৰিলে। কিন্তু, পূৰ্ণ গোহাঞিদেৱে তেওঁক সেইবোৰ কাৰবাৰৰ প্ৰয়োজন নাই বুলি কৈ, বেজাৰ মনেৰে কলে যে, আজি তেওঁ আন কিবা বৰ টান কথা এটা কবলগীয়া থকাত হে অসময়ত ওলাইছেহি, আৰু তেওঁ ততালিকে আকৌ ঘৰলৈ উলটিব। এই কথা কৈয়েই পূৰ্ণ গোহাঞিদেৱে চোলাৰ জেপত হাত ভৰাই কবলৈ ধৰিলে, "মই জানিছিলোঁ, আপুনি যেনে সাধ্বী, সতী আৰু অশেষ গুণৰ গৰাকিণী, আপোনাৰ মৰমৰ জীয়েকো তেনে চৰিত্ৰৱতী হব। এনে ভাবি হে মই আপোনাৰ প্ৰস্তাবিত বিয়াত সন্মতি দিছিলোঁ। এতিয়া চাওক, আপোনাৰ জীয়েকে তলে তলে এইবোৰ কি কাম কৰিছে!" এই বুলি এজাপ চিঠি উলিয়াই জয়ন্তীৰ আইতাকৰ আগত থৈয়েই, তেওঁ আকৌ কবলৈ ধৰিলে, "সেই দিনা আমি বান্দৰ-নচুৱা সেই ৰত্নেশ্বৰ নে কি, তালৈকে জীয়েকে এইবোৰ চিঠি চলাইছে। সি মোলৈ বহুত লাজ্ দি এখন চিঠিৰে সৈতে এইবোৰ প্ৰমাণ স্বৰূপে পঠিয়াইছে। সি আছে ক'ত, ক'ৰপৰা এই চিঠি দিছে, তাৰো একো

ঠিকনা দিয়া নাই। মানুহৰ মুখে শুনিছোঁ, বোলে সেই পাষণ্ড ইয়াতে কাৰোবাৰ ঘৰত আছে। মই আৰু কি কম, মই এতিয়া বৰ দুখেৰে পূৰ্ব্বৰ প্ৰস্তাৱত অমান্তি হলোঁ। সেই কাৰণে, মই আৰু ইয়াত এৰাতিও নাথাকোঁ; আজিয়েই ঘৰলৈ উলটিম।" জয়ন্তীৰ আইতাক অবাক্ হৈ সেই পোনেই ঢাল খাই পৰিল! পূৰ্ণই ততালিকে দাঙ্গি ধৰি গাৰ ধূলি-মাটি গুচাই দি অলপ তেওঁক শাঁত কৰিবলৈ চেষ্টা কৰিলে। সিফালে, বুলনিৰপৰা জুমি আৰু শুনি থকা জয়ন্তী বজ্ৰাহত হোৱাৰ দৰে মূছকঁছ গৈ পৰিল। ঘৰৰ লিগিৰীইতে পানী-তুনি দিয়াত অলপ সংজ্ঞা পাই আৰ্ত্তৰাৱ কাঢ়ি, "আইঔ, মাজতে মোক এইদৰে কোনে খালেঔ!" বুলি হিয়া-ভুকু মাৰি জয়ন্তী আকৌ মূছকঁছ গৈ পৰিল। পূৰ্ণ গোহাঞিদেৱ বৰ খং আৰু বেজাৰত আহিছিল বুলিও, তেওঁ বৰ কোমল অন্তৰৰ-মানুহ; জয়ন্তী আৰু আইতাকৰ মনোদুখ বুজিব পাৰি তেওঁ নিজে অলপ ৰংমূৰা হৈ বহিল। তেওঁ মনে মনে ইয়াকো ভাবিলে যে, জয়ন্তীয়ে আৰ্ত্তৰাৱত কোৱা কথা ফাঁকিৰ কিবা অৰ্থ থাকিব পায়; এতেকে ইবিলাকক শান্ত কৰাৰ লগে লগে সেই কথাৰো অলপ সন্তেদ্ লবলৈ চেষ্টা কৰা যাওক। এই ভাবি তেওঁ মনে মনে গুণিবলৈ ধৰিলে।

জয়ন্তীৰ আইতাক সেই যে নিমাত হৈ বাগৰি পৰিল, তেওঁ সেইদৰে নিমাতী হৈয়ে ৰল। ভিতৰৰপৰা আহি লিগিৰীইতে ধৰাধৰিকৈ নি বিছনাত শুৱাই তেওঁক শুশ্ৰূষা কৰিবলৈ ধৰিলে। জয়ন্তীৰ ফালেও পৰ-পালি দিয়াৰ তুল্যাই হব লাগিছিল; কিন্তু আসন্ন বিপদত ধৈৰ্য্য ধৰি উপস্থিত বুদ্ধি নখটালে মুহূৰ্ত্তৰ ভুল-বুজনিয়ে সাংঘাতিক বিপদ ঘটাব পাৰে; সেই কাৰণে, তেনে সময়ত মানুহ অলৌকিক বলেৰে বলী হয়। জয়ন্তীয়েও আজি সেই বলেৰেই ধৈৰ্য্য ধৰি, পূৰ্ণ গোহাঞিদেৱৰ ভুল সংশোধনৰ উপায় চিন্তিবলৈ ধৰিলে। গোহাঞিদেৱলৈ যে তেওঁ গুপুতে চিঠি চলাইছিল, সেইটো এতিয়াও সকলোৰে আগত প্ৰকাশ্যে কবলৈ তেওঁ লাজ কৰি আছে। এনেতে, বুঢ়ী-লিগিৰীৰ সাহায্য আহি আপোনা-আপুনি উপস্থিত। তাই ভাবিলে যে, জয়ন্তীয়ে নিজে গৈ গোহাঞিদেৱক মুবুজালে আৰু সেই বিষয়ৰ কোনেও জেঙ্গা ভাঙ্গিব নোৱাৰে। এনে ভাবি, তাই শুশ্ৰূষাৰ অৰ্থে মাতি নিয়াৰ ভাৱে গোহাঞিদেৱক তেওঁ আগেয়ে থকা কুঠৰীলৈ মাতি নি বহুৱালেগৈ। সেই ছেগতে সুবিধা পাই জয়ন্তীয়ে উৰি যোৱা দি গৈ গোহাঞিদেৱৰ পাৱত পৰি কান্দিবলৈ ধৰিলে, আৰু প্ৰকৃত ঘটনা জানি লৈ, তেওঁৰ ভুল-বিশ্বাস এৰিবলৈ কাকুতি কৰিবলৈ ধৰিলে। পূৰ্ণ গোহাঞিদেৱ বৰ ধীৰ,—ধৈৰ্য্যতা যেন তেওঁৰ আজ্ঞাধীন গুণ। তেওঁ তেতিয়াই স্থিৰভাৱে জয়ন্তীৰ মুখে আদ্যোপান্ত বৰ্ণনা শুনিবলৈ-ধৰিলে। কওঁতে কওঁতে, জয়ন্তীয়ে সৰস্বতী যেন মুখেৰে চিঠিৰ কথাবোৰ বৰ্ণাই আৰু স্বাভাৱিক ভাব-ভঙ্গীৰে সৈতে গোহাঞিদেৱলৈ তেওঁৰ অটল ভক্তি আৰু অকৃত্ৰিম প্ৰেম বুজাই উঠিল। শুনি শুনি, গোহাঞিদেৱৰ দৃঢ় বিশ্বাস হল যে, সেইবোৰ চিঠিৰ প্ৰকৃত গৰাকী তেওঁৱেই হে; জয়ন্তীয়ে চিঠি তেওঁলৈকে হে লিখিছিল, মাজতে কু-চক্ৰীয়ে পাই হে এনে দুৰ্ঘটনা ঘটাইছে। ইয়াকে স্থিৰ কৰি, তেওঁ জয়ন্তীক আশ্বাস দি ভিতৰলৈ পঠিয়াই, গাওঁ ফুৰিবলৈ ওলাই গল। তেওঁ ধীৰে ধীৰে গৈ বাঁৰী-বাইৰ ভগা-বহাৰ দুৱাৰমুখত থিয়দি ৰল। তাৰপৰা তেওঁ সঁহাৰি লৈ জানিলে যে, বাঁৰীয়ে এটা মানুহৰে সৈতে কিবা গুপুত আলচ পাতিছে। তেওঁ লাহেকৈ পিচফালে ঘূৰি গৈ, বাৰৰ চুকত কাণ পাতি সিহঁতৰ ভিতৰত হোৱা কথা-বাৰ্ত্তা শুনিবলৈ ধৰিলে।

বাঁৰী—এ, সেয়া নহয়, মই অমুকী লাগিলে নো কেই দিনৰ বন! আজি আহি ধমধমনি লগাই দি আজিয়েই গুচি গলগৈ নহয়।

ৰত্ন।—পিচে, পিচে পূৰ্ণ গোহাঞিয়ে বিয়া নকৰাওঁ বুলি গৈছে নে? ইহঁতে কি কয় পিচে? নকৈছিলোঁ, মযো উভতি বান্দৰ-নচুৱামুঠি বুলি!

বাঁৰী।—সেয়ে নহয় নো কি? যি বলেৰে হে পূৰ্ণলৈ লিখা চিঠিবোৰকে তোমালৈ লিখা চিঠি বুলি জয়ন্তীক অবিশ্বাসী কৰালোঁ! এতিয়া আৰু কোন্টো লাজেৰে নো সি বিয়া কৰায়? মিছা যদিও, সেই কথা পতিয়াব কেনেকৈ?

পূৰ্ণ গোহাঞিদেৱে আৰু সহিব নোৱাৰিলে। তেওঁ ইয়াতকৈ আৰু নিজ কাণে শুনা প্ৰমাণ অধিক নিবিচাৰিলে। তেওঁ তেতিয়াই উলটি আহি সকলো বৃত্তান্ত জয়ন্তীৰ

আইতাকত জনালে। জয়ন্তীৰ আইতাক বিধবা বুলিও, সেই চুবুৰিৰ ভিতৰত এগৰাকী ক্ষমতা থকা ভগাবিষয়ানী আছিল। সেই গুপ্ত চক্ৰান্তৰ সম্ভেদ্ পোৱা মাত্ৰকে তেওঁ পাঁচোটামান মানুহ পাচি বাঁৰীক আৰু বাঁৰীত চাপি থকা মানুহটোক ধৰাই অনালে। মানুহটোক তিনটা লগুৱাই বাহিৰতে ধৰি ৰাখিলে; বাঁৰীক পোনেই নি বিষয়ানীৰ আগত থিয় কৰোৱা হ'ল। কাৰ্য্যৰ গতি-গোত্ৰলৈ মন কৰিয়েই চতুৰা বাঁৰী বাইৰ গা বাজিল! তাই, কোনেও একো সুধিবলৈ নৌ পাওঁতেই, নিজে নিজে ঘটনাটোৰ আদ্যোপান্ত বৰ্ণাবলৈ ধৰিলে। তাই বিষয়ানীৰে পাৰত পৰি কান্দি কান্দি এই বুলি সৈ ললে যে, এই বিষয়ত তাই নথৈ অপৰাধ কৰিছে সঁচা, কিন্তু যাৰ উদ্গনিত তাই এনে কাম কৰিবলৈ আগ বাঢ়িছিল, সি তাতোকৈ অপৰাধী নহয় জানো? তাই আৰু কলে যে, সি তাইত চাপি সদায় পোহ-পাল কৰি থাকিবলৈ বুলি আজি ইমান দিন তাইৰে সৈতে গৃহবাস কৰি আছে, সেই কাৰণে হে তাৰ গুপুত উদ্দেশ্য সিদ্ধি কৰিবৰ কাৰণে, জয়ন্তীয়ে পূৰ্ণ গোহাঞিদেৱলৈ লিখা চিঠিবোৰ যোৰহাটলৈ যোৱা মানুহৰ হাতত দিবলৈ নিওঁ বুলি তাই চপনীয়া মতাটোক দিছিল গৈ। বাঁৰীৰ কথা শুনি চাৰিওফালৰপৰা ডেকা, বুঢ়া সকলোটি চাপিলহি। সেই সকলোৰে মাজে দি বাট লৈ পূৰ্ণ গোহাঞিদেৱে শাহুৱেকত সেৱা জনাই ক্ষমা মাগিলে গৈ। বিষয়ানীয়েও অতি সন্তোষেৰে ভাবী-জোবাঁয়েকক আশ্বাস দি শান্ত কৰিলে। ইফালে, বাহিৰত ডবা-চৰ, গেমেহা-ভুকু, কাণ-মোচৰা, নাক-টনা, শিলৰ খুন্দা ইত্যাদিৰে সৈতে চুবুৰীয়াই সেই চপনীয়া মতাক আধামৰা কৰিব লাগিছে! শেহত, তাৰ চিয়ঁৰ সহিব নোৱাৰি হাতত বন্তি লৈ গোহাঞিদেৱ আৰু জনচাৰেক মানুহে বাহিৰলৈ আহি দেখেচোন, সেইটো ৰত্নেশ্বৰ বৰমতা! ছোৱালী বাছোঁতে বাছোঁতে এঙ্গাৰ-কলী, নাক-থাঁৰী, ফেঁচামুই, এলাইজাঁপৰী বাঁৰীত চপনীয়া চাপি লোকৰ পৱিত্ৰ প্ৰেমত বিঘিনি ঘটাবলৈ ৰত্নেশ্বৰ ধুনীয়া ডেকাই বাঁৰী-বাইৰ এৰাবাৰী ৰখীয়া হৈছেহি! গোহাঞিদেৱ বৰ মৰমিয়াল মানুহ; তেওঁ ৰত্নেশ্বৰক সিমান জলপানেৰেই তুষ্ট হ'বলৈ দি, তাৰপৰা মুক্তি দিয়ালে।

আগেয়ে জয়ন্তীৰ বিয়াৰ আয়োজন লাহে লাহে হে চলিছিল। বিয়াৰ দিন ফাগুন বা বহাগত হে স্থিৰ হৈছিল। কিন্তু, ৰত্নেশ্বৰ ধৃৰ্ত্তালিয়ে জয়ন্তী আৰু পূৰ্ণ গোহাঁইদেৱৰ বাহ্যিক আৰু আন্তৰিক সম্বন্ধ আগতকৈও দৃঢ়তৰ কৰিলে। পূৰ্ণ গোহাঞিদেৱ তাত থাকোঁতেই, ইফালে বিষয়ানীয়ে গাবঁৰ জনচাৰেক ভদ্ৰলোকক যোৰহাটলৈ পঠিয়াই আঘোণতে বিয়া পাতিবলৈ বুলি গোহাঞিদেৱৰ ঘৰৰপৰা সন্মতি জনালে। অদৃষ্টৰ গুণত বিধবা বুলিও বিষয়ানীৰ অৱস্থা বৰ টনকিয়াল আছিল। তেওঁ নিজে সকলো খৰচ-পাতি দি ছোৱালী বিয়া দিবলৈ সাজু হোৱাত, যথাসময়ত দৰা-ঘৰীয়া সকলোটি চাপিকুচি বিষয়ানীৰ ঘৰৰ কাষত যুগুত কৰি থোৱা বাহৰত উপস্থিত হ'লহি। মহা আড়ম্বৰেৰে বিয়াৰ কাৰ্য্য আৰম্ভ হ'ল। ওচৰ-চুবুৰীয়া ভাল-ভদ্ৰ, সৰু-বৰ অলেখ মানুহে বিয়াত যোগ দিলেহি, নানা তৰহৰ গান-বাজনা, নাচ-ধেমালিৰে সৈতে পূৰ্ণ গোহাঞিদেৱৰে সৈতে জয়ন্তী আইদেউৰ সাদিনীয়া শুভবিবাহ সম্পাদিত হৈ গ'ল। তাৰ পাচত, এপখমান মিতিৰৰ ঘৰতে মহা সন্তোষেৰে থাকি, দৰাঘৰীয়াসকলৰ বৰ-কন্যাৰে সৈতে মহা ধুমধামেৰে ঘৰলৈ উলটিল। ৰত্নেশ্বৰ ধুনীয়া ডেকা বাঁৰী-বাইৰ ভগা-বহাতে ঘূনীয়া হৈ পৰি থাকিল!

ঊনবিংশ আধ্যা

পাপৰ পৰিণাম

মানইঁতে থঙৰ জালত গায়পতি একো ঘাপ্‌কৈ ঘপিয়াই পামপুৰীয়াক তাতে টুকুৰাটুকুৰ কৰি, তাৰ পাচত সিহঁত ঘৰলৈ উলটিল। উলটিল, কিন্তু শুদা হাতে ঘৰলৈ ওলটা চিকাৰীৰ দৰে সিহঁতৰ পেটৰ ভোক, গাৰ ভাগৰ অসহনীয় হৈ উঠিল। আধা মাইলমান বাট গৈয়ে এজোপা ডাঙৰ বৰগছৰ তলত আটাইবিলাক মৰা-শ পৰা দি পৰিলগৈ। সেই অৱস্থাৰেই মূৰ্খ পাষণ্ডইঁতে আধা ঘণ্টামান চাটিফুটি কৰি আছে, এনেতে এটা বুকুবহল ডেকাই এই বুলি মাত লগালে, "কাকাহাতঐ, আমিচোন ৰত্নেশ্বৰক একো কৰিবা নোৱাৰিলুঙ্ঐ! হি আমাক ভুৱা দি হাৰিলচোনঐ!

আমি তাৰ ঘৰ আৰু গাঁওকে ভাঙিবগৈ নোৱাৰোঁ না ?” ডেকাৰ কথা শুনা মাত্ৰকে খন্তেকত উতলি থকা মানুহত আকৌ মতলীয়া হৈ উঠিল ; ক্ষন্তেকৰ নিমিত্তে পাপ-তেজৰ বলত ভোক, পিয়াহ, ভাগৰ সকলো পাহৰি আটাইবিলাক উত্ৰাৱল হৈ আকৌ উভতিল। আটাইবিলাক আহি পোনেই ৰত্নেশ্বৰৰ ঘৰৰ বাহিৰে, ভিতৰে, চালে, বাৰে মৌ-গুটি ওলমি পৰাদি পৰিল। ভিতৰ সোমোৱাবিলাকে হুঁতা চাউল আৰু ধোঁৱাছাঙৰ গুৱৰ সোৱাদত মজি বাহিৰৰ বিলাকলৈ পাহৰিলেই ; বাহিৰৰ বিলাকে ঘৰ-দুৱাৰ ভাঙি নিজৰ খং সবাৰ সুখতে মগ্ন হল ; চালৰ ওপৰত থকাবিলাকে ঘৰটোকে চৰাই-পখিৰা দি, খন্তত উন্মত্ত হৈ আছে। তাৰ পাচত গোটাচাৰেকৰ মনত এনে বুদ্ধি ওলাল যে, ফাঁকিদাৰ ৰত্নেশ্বৰৰ ঘৰকে পুৰি ছাই কৰা যাওক। এই বুলি, এটাই থুনুপাকৰপৰা টিঙিৰি-তুলা উলিয়াই লৈ ঘৰৰ চালৰ চুকে চুকে জুই দিবলৈ ধৰিলে। দুপৰীয়া ৰ'দত শুকাই থকা ঘৰৰ চালত কেইওফালৰপৰা জুই লগোৱা মাত্ৰকে জুই অভ্ৰংলেহী জিভা মেলি গগন ভেদি জ্বলি উঠিল। তিন-দিনীয়া লঘোনত ভিতৰ সোমাই লালিগুৰেৰে সনা হুঁতা চাউলৰ লাৰু চোবোৱাবিলাক ভিতৰতে ৰল ! চালৰ ওপৰত থকা বৰতীয়াবিলাক পাখি-ভগা শালিকীৰ দৰে অলপ পৰ ধপ্ধপাই তললৈ সৰি সৰি পৰিল ! বাৰে-চালে মৌ-গুটিৰ দৰে ওলমি থকাবিলাকৰ কিছুমানে বাহিৰলৈ ওলাবৰ বাট বিচাৰি, অচিনাকি দুৱাৰেদি ভিতৰলৈ হে সোমাই গৈ লগৰীয়া ভাইসকলৰ লগতে জাহ গল ! তাৰে গোটা-চাৰেকে আধা-পোৰা হৈ ওলাই আহি চোতালৰ বননিত বাগৰ দি আধা-পোৰা বৰালি মাছৰ দৰে হল। বাহিৰত চিয়ঁৰ-বাখৰ কৰি ধপচালি কোৱাই থকা তিনটা মাথোন মান নিঘুনি হৈ ৰল ; সিহঁতেও লগৰ দুকুৰি-তেৰটাক একেবাৰে হেৰুৱাই আৰু চৈধ্যটাক আধা-পোৰা আধা-মৰা অৱস্থাত দেখি বৰ ব্যাকুল হৈ পৰিল। এনে সুযোগতে গাৱঁৰ ডেকা, বুঢ়া সকলোটি চাপি আহি সেই গৰীয়া পৰি থকা নৰ-পাষণ্ড মান কেইটাক নানা শাস্তি দি বন্দী কৰি ৰাখিলে !

বাঁৰী তেৰং আৰু খাঁৰী তেৰং। মহা চতুৰা সেই লাহদৈগৰীয়ানী বাঁৰী বায়েও, গাৱঁত জয়ন্তী আইদেউৰ বিয়াৰ ধুমধাম্ মাৰ যাবলৈ হে বাট চাই আছিল। জয়ন্তী আইদেৱক লৈ দৰা-ঘৰীয়া ঘৰলৈ ওলটাৰ কেইদিনমানৰ পাচত, বাঁৰীয়ে বিধৱানীৰ চ'ৰাত গাৱঁৰ বৰমুৰীয়াসকলক চপাই এখন চালিচ পাতিলে। ৰত্নেশ্বৰে প্ৰথমে সেই চালিচ অমান্য কৰি তাত উপস্থিত হবলৈ অমান্তি হৈছিল। কিন্তু, অলপ টানমুখীয়া হুকুম পোৱা মাত্ৰকে তেওঁ পুৰুৰ পিটনলৈ মনত কৰি, আকৌ সেও হৈ কলে যে, তেওঁ গাৱ বিৰত উঠিবই নোৱাৰে। চালিচৰপৰা আদেশ পৰিল যে, গোটা-চাৰেক ডেকা ল'ৰা গৈ তাক মাটি অনা চাঙীত তুলি দাং-কোলাকৈ আনকগৈ। ৰত্নেশ্বৰক সিমানলৈকে পোৱা অপমানৰ জলপানেই ধাটিছিল, গতিকে তেওঁ মাটি-অনা চাঙীত উঠি বহুৱা ওলোৱাতকৈ কেঁকাই-গেঁথাই নিজে যোৱাটোকে উচিত দেখিলে। যথাসময়ত মেলৰ বিচাৰ আৰম্ভ হ'ল। গুচৰীযানীয়ে তাইৰ কবলগীয়া কৈ অন্ত কৰি, সামৰণিত কলে, “মই চাওঁতে সিটোৱেও আৰু ইফাল-সিফাল কৰিব নাপায় দেখোন, এবেলি আপোন ইচ্ছাৰে চাপি আকৌ নো ঘটংমটং লগায় নে ? তথাপি, 'নেজানি দৈৱৰ গতি'। পাচত কাৰ মন কি হয়, কোনে জানে ? সেই দেখি ৰাইজৰ আগতে এটা পকাকৈ বন্ধা-ছটা হৈ গলে যেনিবা ভাল।” চালিচে বাঁৰীৰ কথাত হয় দি, তাত ৰত্নেশ্বৰৰ মত কি জানিবলৈ ইচ্ছা কৰিলে। ৰত্নেশ্বৰে সিমান পৰলৈকে বাঁৰীৰ মলিয়ন বৰকাপোৰেৰে ঘুম্ মাৰি আঁঠুৰ তলত মুৰ সুমাই শুনি শুনি কান্দি আছিল। চালিচৰ প্ৰশ্ন শুনি অতি কাতৰ-ভাৱে কিবা এটি উত্তৰ দিব খুজিছিল, কিন্তু ৰত্নেশ্বৰৰ জিভাই দোৱোল্ নেখালে ; তেওঁ আপোনাৰ মুখত আপুনি ভুকুৱাই ধাৰাসাৰে চকুলো বোৱাবলৈ ধৰিলে। ৰত্নেশ্বৰৰ তেনে অৱস্থা দেখি এজন সমজুৱাই পুতৌ কৰি কবলৈ ধৰিলে, “এৰা, দেহি, আগৰ ভাল অৱস্থাৰ মানুহ, এতিয়া দুখত পৰি শোক কৰিছে ! তেওঁ নো আৰু কব কি ? বাঁৰীয়ে যি কলে, তাতে তেওঁ মান্তি, সিহঁতে ঘৰত কথা-বাৰ্ত্তা স্থিৰ নকৰাকৈ নো আহিছে নে ?” তেওঁৰ কথাত আনবিলাক সমজুৱায়ো হয় দি উঠিল। সদৌশেহত এয়ে স্থিৰ হ'ল যে, সেই বাঁৰীৰ ঘৰতে এতিয়া থকাৰ দৰেই ৰত্নেশ্বৰ চপনীয়া

মতা হৈ গৃহবাস কৰি থাকিব। নাইবা, এৰি যাবলগীয়া হলে, বাঁৰীয়ে সেই সময়ত গৰ্ভত ভাৰ বোৱা ভাবী-সন্তানৰ পোহ-পালৰ নিমিত্তে ৰত্নেশ্বৰে ১০০৲ এশ টকা দি যাব লাগিব। এই সিদ্ধান্ত দি মেলুৱইসকল ঘৰাঘৰি গ'ল। লাখ-টকীয়া ৰত্নেশ্বৰে আজি শ-টকীয়া লেঠা মাৰিব নোৱাৰি বাঁৰী-বাইৰ পিচে পিচে এমুৰীয়া ভগা-বহালৈ উভতিলে!

পকা বন্দবস্তৰে সৈতে ৰত্নেশ্বৰে বাঁৰী-বাইৰ লগত গৃহবাস কৰি থকা ভালেমান দিন হ'ল। ৰত্নেশ্বৰৰ হাতত যি দুই-চাৰি টকা বাকী আছিল, তাক কুমন্ত্ৰণাৰ কৌশলেই অন্ত কৰিলে। পাচলৈ ৰত্নেশ্বৰে বাঁৰীক খুৱাওক ছাৰি নিজৰ দুসন্ধ্যা ভাতৰ নিমিত্তেই আৰ্জ্জন কৰিব নোৱাৰি তেওঁ মেমেৰা আৰু ৰুগীয়া হৈ পৰিল। ভালত হে ভাল; ৰত্নেশ্বৰৰ মন্দকাল চপাৰ লগে লগে তেওঁৰ ওপৰত বাঁৰী-বাইৰ চট্চটনি গালি-বৰষণিৰ কোবো চৰি আহিল। ওলাওঁতে চপনীয়া, সোমাওঁতে বগৰা, উঠোঁতে এলেহুৱা, বহোঁতে চুৱাখোৱা ইত্যাদি বাঁৰী-বাইৰ চোকা মাতৰ ধোঁৱাই ৰত্নেশ্বৰৰ কলিজা ক'লা কৰিলে! সদৌশেহত, তেওঁ নিজৰ প্ৰাণকে অসহনীয় বোধ কৰি, এদিন য'তে-ত'তে মৰোঁগৈ বুলি নিজানে নিজানে ৰত্নেশ্বৰ বাঁৰীৰ ঘৰৰপৰা বাজ হ'ল। লাহদৈগড়ৰপৰা দুমাইল-মান বাট আহি ৰত্নেশ্বৰৰ মনত সাহ হ'ল; প্ৰাণত নতুন বলৰ সঞ্চাৰ হ'ল। তেওঁ নিজৰ গাৱঁলৈ, নিজৰ ঘৰলৈ যোৱা বাট ধৰাৰ লগে লগে, নিজৰ ঘৰ-বাৰীৰ সোঁৱৰণীয়ে আহি তেওঁৰ মনত থিত্ ললে। তেওঁ মনতে পাঙ্গিলে যে, সকলো কথা এৰি দি, এইবাৰ তেওঁ ভালকৈ ঘৰখন চলাই টনকিয়াল-ভাৱে দিন নিয়াবগৈ। এনে সুখৰ ভাবনাত উলাহিত হৈ ৰত্নেশ্বৰে যিমান বেগাই পাৰে ঘৰমুৱাকৈ খোজ ধৰিলে। এইদৰে দিনে-ৰাতিয়ে ৰাটকুবি বাই দুদিনৰ মূৰত ৰত্নেশ্বৰ নিজৰ গাৱঁত সোমালগৈ। দিন-দুপৰত চাৰি-সঁজীয়া লঘোনত ৰত্নেশ্বৰে নিজৰ ঘৰৰ ভেঁটিৰ ওপৰত আধাপোৱা খুঁটা-চ'তি আদি চাই তেওঁৰ ভোক-পিয়াহ গুচাবলগীয়া হল! এখন-মান তামোল খাবৰ পৰ চোতালতে চৰণ-পৰা মানুহৰ দৰে ঠৰ্ লাগি থাকি, ৰত্নেশ্বৰে উদাস ভাবত এটি উন্মাদী হাঁহি মাৰিলে। হাঁহিলে, ৰত্নেশ্বৰে আৰু সেই হাঁহিৰ ৰাগী মাৰ নিয়াব নোৱাৰিলে। পোৰা-ঘৰৰ ভেটিটোতে চাৰি পাক-মান ঘূৰি ৰত্নেশ্বৰে এটা অৰ্থশূন্য ঢেকঢেকনি মাৰি উত্তৰমুৱাকৈ ঘোঁৰাচুটি মেলি কলৈ গৈছেগৈ কেৱে কব নোৱাৰে, নিজেও নাজানে গৈছে কলৈ।

বিংশ অধ্যায়

মহামিলন,—বাঞ্ছাসিদ্ধি

সেই দিনা লাহৰী আৰু বুঢ়া-বুঢ়ীক বিগত ঘটনাৰ বিস্ময়জনক উদ্ঘাটনৰ হেন্দোলনিৰ মাজত এৰি অহাৰ পাচত, সিবিলাকৰ বিষয়ে জানিবলৈ পাঠকৰ মনত উগুল-থুগুল লাগি আছে চাগৈ। লাহৰীয়ে সেই দিনা পোনেই একো তত্ ধৰিব নোৱাৰি অলপ পৰ তধা লাগি চাই আছিল। কিন্তু, স্বৰূপ কথা আৰু বেচি পৰ ঢাক খাই নাথাকিল; লাহৰীয়ে বেচ্কৈ বুজি উঠিলে যে, তেতিয়া তেওঁ প্ৰাণৰ প্ৰাণ কমলৰ অতি চেনেহৰ আইতাক আৰু দেউতাকৰ বুকুত! সেই ভাব অনুভৱ কৰা মাত্ৰকে আনন্দ-বেজাৰৰ উগুল-থুগুলনিয়ে লাহৰীক কঁপাবলৈ ধৰিলে। শান্তিৰাম গোহাঞিবৰুৱাই চেনেহী লাহৰীক আচৰিত ভাৱে চাই থাকি, কঁপিবৰ দেখি, যেতিয়া আঁকোৱাল মাৰি বুকুত লবলৈ হাত মেলিলে, তেতিয়া লাহৰীৰ আনন্দৰ লগত মিহলি হৈ থকা বেজাৰৰ ঠাইত লাজে থিত্ ললেহি, তেওঁ মাহি-মুহাকৈ পিচ হোঁহকা মাৰি আঁতৰ হৈ ভিতৰ সোমালগৈ। ইফালে কমলৰ আইতাকে অলপ ধৈৰ্য্য ধৰি লাহৰীৰ মুখে শুনা সমুদায় বৃত্তান্ত তেওঁৰ স্বামী ডাঙৰীয়াক ভাঙ্গি কলে। শুনি শুনি শান্তিৰাম গোহাঞিবৰুৱাই লাহৰী হেন বোৱাৰী লাভৰ সুখ অনুভৱ কৰি এটি মিচিকিয়া হাঁহি মাৰি গুনিবলৈ ধৰিলে। তাৰ পাচৰপৰা লাহৰীয়ে বুঢ়ীৰ আগতো আগৰ দৰে মুকলিমূৰীয়াকৈ কথা পাতিবলৈ লাজ কৰিবলৈ ধৰিলে। এইদৰেই কেদিনমান গ'ল। বুঢ়া-বুঢ়ীৰে সৈতে লাহৰীৰ আন্তৰিক সম্বন্ধ স্বভাৱতে দৃঢ়তৰ হৈ আহিবলৈ ধৰিলে। বুঢ়া-বুঢ়ীয়েও লাহৰীক পাই যেন হাততে মৰমৰ হেৰোৱা পুতেকক আকৌ পালে, এনে ভাবিলে; আৰু দিনক-দিনে লাহৰীৰ প্ৰতি সিবিলাকৰ আন্তৰিক মায়া-মোহ বাঢ়িবলৈ ধৰিলে।

এনে অপাৰ আনন্দত বিভোল হৈ বুঢ়া-বুঢ়ী আৰু লীলাময়ী লাহৰীয়ে পৃথিবীতে স্বৰ্গ-সুখ ভুঞ্জি আৰু এমাহ কটালে। সেই আনন্দ অপ্ৰতুল কৰিছিল মাথোন কমল আৰু লাহৰীৰ আইতাক-দেউতাক সকলোটিৰ সন্মিলনৰ অভাৱে। সেই কাৰণে, তিনিওৰে ইচ্ছাসোঁতে এক সোঁতা হৈ সিবিলাকৰ মহানন্দ অপূৰ্ণ কৰা বাকী তিনি প্ৰাণীক বিচাৰি যাবলৈ ঢাল খালে। কমলৰ আইতাকে পোন-প্ৰথমেই প্ৰস্তাৱটি আগ বঢ়ালে, আৰু কমলৰ দেউতাকে ততালিকে সমৰ্থন কৰিলে; শেহত লাহৰীৰ অনুমোদনৰে সৈতে সেই প্ৰস্তাৱ গৃহীত হল। যথাসময়ত সকলো আয়োজন কৰি লৈ, ঘৰৰ নগুৱা দুটা, লিগিৰী এজনী আৰু গাৱঁৰ চুবুৰীয়া দুজনমান মানুহ লগত লৈ সিবিলাকে পামপুৰলৈ যাত্ৰা কৰিলে। আহিবৰ সময়ত ঘৰত ল'ৰা-তিৰোতা-লগা নগুৱা এটাক বয়-বস্তু ভালকৈ গতাই দি অহা হল। সিবাৰৰ দুৰ্ঘটনা ঘটিবৰেপৰা বুঢ়া-বুঢ়ীয়ে আজি হে আকৌ নাৱত উঠিবলগীয়া হৈছে। এই বাৰ গোহাঞিবৰুৱা ডাঙৰীয়াই বৰনৈ পাৰ হবলৈ বুলি নাৱত ভৰি দিয়াৰ আগতে সকলোকে সতৰ্ক কৰি দিছিল, আৰু নিজেও বিশেষ সাৱধানে আছিল; বিশেষকৈ, লাহৰীৰ ওপৰত তেওঁ বৰকৈ চকু ৰাখিছিল। তথাপি, বৰনৈৰ মাজ পাওঁতে বৰুৱানীৰ গা কঁপি উঠিল, বৰুৱাৰো মন-প্ৰাণ অস্থিৰ হৈ পৰিছিল। নাৱৰীয়াইতে সিবিলাকৰ মনৰ অৱস্থা বুজিব পাৰি, কোবাকুবিকৈ নাও মাৰি, সকলোটিকে নিৰ্ব্বিঘ্নে সিপাৰত তুলি দিলেগৈ।

আগবঢ়াই থবলৈ যোৱা চুবুৰীয়া মানুহ সকলোটি বৰনৈৰ ইপাৰৰপৰাই উভতিল। লাহৰী আৰু বুঢ়া-বুঢ়ী প্ৰমুখ্যে উত্তৰপৰীয়া হোৱা দলে মানুহক সুধি সুধি ন-ভগনীয়া বিষয়াসকলে ন-কৈ পতা পামপুৰলৈ বাট ললে। বাটে বাটে আনন্দৰ কথা-বাৰ্ত্তা পাতি যাওঁতে যাওঁতে সিবিলাক পামপুৰ সোমালগৈ। আৰু দুঘৰ-তিনিঘৰ পাৰ হৈ অলপ বাট যাওঁতেই কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰৰ ফালে ঘূৰিবলগীয়া বাটৰ পাকটো পোৱা গল। সেই খিনিতে ভৰি দিওঁতে লাহৰীৰ গোটেই গাত কি যে এক হৰ্ষ-বিষাদৰ পিৰ্‌পিৰণি উঠিছিল, তাক কথাৰে ফুটাই কবলৈ টান। লাহৰীয়ে মাটিত ভৰি পেলাইছে আৰু কিবা এক শক্তিয়ে যেন লাচতে তেওঁৰ খোজ তুলি তুলি দিছে! বাস্তৱতে, আজি কীৰ্ত্তিনাথ গোহাঞিৰ পদূলিৰ শোভা দেখিলে বেজাৰত জঠৰ হোৱা মানুহৰ গাতো আনন্দৰ পিৰ্‌পিৰণি উঠে। সবাৰৰে আগত বাট দেখুৱা মানুহ এটি, তাৰ পাচত শান্তিৰাম গোহাঞিবৰুৱা, তেওঁৰ পাচত তেওঁৰ ভাৰ্য্যা, তেওঁৰ পাচতে তেওঁবিলাকৰ ভাৱী-বোৱাৰী লাহৰী, তেওঁৰ পাচত লিগিৰীজনী, সকলোৰে পাচত লগৰীয়া নগুৱা আৰু ভাৰী দুটাই লানী পাতি পদূলি গুৰনি কৰি সোমাইছেগৈ। কীৰ্ত্তিনাথ গোহাঞি ৰাজ-চ'ৰাতে কমলক কাষত বহুৱাই লৈ বহি কথা পাতি আছিল, এনেতে আলহীসকল চাপি আগতে থিয় দিলেগৈ। কীৰ্ত্তিনাথ গোহাঞি ফুকনে তথা লাগি চিনোঁ চিনোঁ ভাৱেৰে শান্তিৰাম গোহাঞিবৰুৱাৰ মুখলৈ চায়ে ৰল, কমলেও সপোনেই নে দিঠকেই তত ধৰিব নোৱাৰি বিস্ময় মানি চাবলৈ ধৰিলে। কিন্তু, পিচ মুহূৰ্ত্ততে "ঐ, আইতাঐ, মোৰ দেউতাঐ, লাহৰীঐ" বুলি কমলে আইতাক আৰু দেউতাকৰ পাৱত আকোঁৱাল মাৰি ধৰিলে গৈ; ইফালে উভলি-পৰা কল-পুলিটিৰ দৰে আকুল হৈ লাহৰী নিজৰ দেউতাকৰ পাৱত পৰিলহি! এইদৰে দুই ঘৰৰে হেঁপাহৰ আন্দোলনিত কোঢাল লাগি উঠিল; এনেতে ভিতৰত লাহৰীৰ আইতাকে তাৰ গম্ পালে। 'লাহৰী' নাম তেওঁৰ কাণত পৰা মাত্ৰকে তেওঁ সকলো পাহৰি হাতৰ কাম হাতত লৈ অলপ পৰ তথা মানি ৰল। তাৰ পাচত, "ঐ সঁচাকৈয়ে মোৰ আই ওলাইছেহি নে ঐ?" বুলি উৰি যোৱা দি গৈ, তেওঁ লাহৰী আৰু দেউতাকৰ মাজত সোমাই বিস্ময়জনক আনন্দৰ চিয়ঁৰেৰে থলক লগাবলৈ ধৰিলে। তাৰ পাচত, কীৰ্ত্তিনাথ গোহাঞি-ফুকন আৰু শান্তিৰাম গোহাঞিবৰুৱাই ধৈৰ্য্য ধৰি, মাক-জীয়েক আৰু মাক-পুতেকক আলিঙ্গনৰ হেঁপাহ গুচাবলৈ এৰি দি, দুয়ো সাদৰৰ আলিঙ্গন দিয়া-দিয়িত ধৰিলে। এই মহা আনন্দৰ ঢৌ অলপ মাৰ নিয়াই লাহৰীৰ আইতাকেও কমলৰ আইতাকক আকোঁৱাল মাৰি ধৰি আদৰৰে সৈতে ভিতৰলৈ লৈ গল। ইতিমধ্যতে লাহৰী-কমলেও চকুৰে-চকুৰে

পুনৰ্মিলনৰ আন্তৰিক আলিঙ্গন জনাই লাজৰ ঢাকনি পিন্ধি মুহূৰ্ত্তৰ ভিতৰতে দুয়ো দুফালে ছাঁয়া কাটিলে। কীৰ্ত্তিনাথ গোহাঞি-ফুকনে আগৰ পুৰণি বন্ধু শান্তিৰাম গোহাঞি-বৰুৱাক লগ পাই পৰম প্ৰীতি লাভ কৰিলে। তেওঁ অতি আদৰেৰে গোহাঞি-বৰুৱাক একাসনতে বহুৱাই লৈ আনন্দৰ আলাপ কৰিবলৈ ধৰিলে। ভিতৰত সিফালে দুই আইতাকৰ আনন্দৰ সীমা নোহোৱা হল। এগৰাকীয়ে কয়, "মোৰ নহয়, আপোনাৰ হে জীয়েক", ইগৰাকীয়ে সমিধান দিয়ে, "মোৰ নহয়, আপোনাৰ হে পুতেক!" এই দৰেই দুইৰো সঘন আলিঙ্গনত বুলনি ঘৰ আনন্দৰ চমকনিত চক্‌মকাই জ্বলি উঠিল। এইভাৱে বহুপৰৰ পাচত, দুয়ো মহা আনন্দৰ মেল পাতিবলৈ বহিলে। ইফালে লাহৰীয়ে ইবিলাকক আনন্দৰ উত্তলনিতে এৰি, তেওঁৰ মৰমৰ আহিনী বাইক বিচাৰি ললেগৈ। আহিনীৰ মুখত কথা নুফুটে! এহাতে আনন্দৰ চকুলো মচে, ইহাতেৰে লাহৰীক আকোঁৱাল মাৰি ধৰি, তাই এতিয়া নেৰে! লাহৰীয়ে মৰমৰ বুজনিৰে আহিনীৰ চেনেহৰ বান্ধনী ক্ষন্তেকলৈ এৰাই, একেলৰে তেওঁৰ হেঁপাহৰ ফুলনিত সোমালেগৈ। সোমাই, প্ৰত্যেক জুপি ফুলৰ ওচৰলৈকে গৈ তেওঁ দেখে, দেখোন এজুপি ফুলৰো এপাহিও ফুলা নাই! কমলৰ যত্ন-পানীত ফুল আটাইকেইও জুপি জীয়াই আছে হয়, কিন্তু লাহৰীৰ বিয়োগ-বেজাৰত যেন আটাইটি ম্লান পৰি নুফুলাকৈ আছে! লাহৰীয়ে মৰমৰ ল'ৰা-ছোৱালীক মৰম-বুজনি দিয়াৰ দৰে প্ৰত্যেক জুপি ফুলকে লাৰি-চাৰি আদৰ কৰিবলৈ ধৰিলে। এনে সময়তে, পুনৰোদয়ত সূৰ্য্যৰ ভুমুকনিৰ দৰে ফুলনিৰ পূৱ চুকেদি কমলে দেখা দিলেহি। সেই ছেগতে, লাহৰীয়ে লৰি গৈ কমলক সাবটি ধৰি, মিলনৰ এটি হেঁপাহ-ভৰা চেপা দি তেওঁৰ মুখলৈ চাই আধাভঙ্গা মাতেৰে সম্বোধন কৰিলে, "প্ৰাণনাথ!"—কমলেও লাহৰীৰ জেতুলীপকা যেন ৰঙ্গা ওঁঠটিত দুটি আঙ্গুলিৰে চেনেহৰ চেপা এটি দি সমিধান দিলে, প্ৰিয়া! এনে অৱস্থাতে, লাহৰীক ক্ষন্তেকলৈ নেদেখি আতুৰা হোৱা আহিনী বাই আহি উপস্থিত! কমলে তাইক দেখা মাত্ৰকে লাহৰীক তাতে এৰি তাৰপৰা বিজুলী চমকনিৰে ছাঁয়া কাটিলে। লাহৰীয়ে কি বাই, কি লাগে? এই বুলি মিচিকি মিচিকি হাঁহিবলৈ ধৰিলে। এইবাৰ কমলে লোকে দেখাৰ ভয়ত চকি পলোৱা নাই,—তেওঁক লাজৰ টানে হে নিলগাই নিলে। এইবাৰ লাহৰীয়েও শোকৰ খুন্দাত ভগা-ভগা মাতেৰে কমলক সম্বোধন ধৰা নাছিল,—আনন্দৰ ওপচনিয়ে হে তেওঁৰ হিয়া-ভৰা ভাবক ভেটি ধৰি মাত ভগা-ভগা কৰিছিল!

"লাহৰী আকৌ ঘৰত ওলাইছেহি", এই সুখৰ বাতৰি ক্ষন্তেকৰ ভিতৰতে পামপুৰৰ ইমূৰৰপৰা সিমূৰলৈকে বিয়পি পৰিল। যেয়ে য'তে যি কৰিছিল, সেয়ে হাতৰ কাম-বন ত'তে পেলাই থৈ কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰৰ মুখে পখিলা-উৰা দি উৰিবলৈ ধৰিলে, ডেৰঘণ্টামানৰ ভিতৰতে গোটেই পামপুৰৰ গঞা উবুৰি খাই পৰিলহি। কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰত বাজে-ভিতৰে মানুহৰ মাজত বিৰ দি বাট পাবলৈ নোহোৱা হল। তাৰ পাচত বিষয়াসকল আহি উপস্থিত। সিবিলাকে শান্তিৰাম গোহাঞি-বৰুৱাক বহুদিনৰ হেৰোৱা আদৰৰ ধন পোৱা দি পাই আনন্দত সকলোটিয়ে তেওঁৰে সৈতে আলিঙ্গন সলনাসলনি কৰিবলৈ ধৰিলে। ক্ষন্তেকৰ নিমিত্তে পামপুৰ আকৌ আনন্দৰ ৰম্যপুৰী আৰু শান্তিধাম যেন হৈ উঠিল! বিষয়াসকলৰ মাজত কমলৰ ধৰ্ম্মপিতৃ গোহাঞি-ফুকনো আছিল। কীৰ্ত্তিনাথ গোহাঞি-ফুকনে আদ্যোপান্ত ভাঙ্গি কৈ, কৃষ্ণৰাম গোহাঞি-ফুকনক ভেঁটাই দিয়াত, শান্তিৰাম গোহাঞি-বৰুৱাই অতি কৃতজ্ঞ অন্তৰেৰে তেওঁক আলিঙ্গন কৰিলে। কৃষ্ণৰাম গোহাঞি-ফুকনেও সেই আনন্দত উতলি আজি হে তেওঁৰ প্ৰকৃত চিনাকি দিলে, তেওঁ খাৰঘৰীয়া গোহাঞি ফুকনৰ ঘৰৰ বংশধৰ বুলি; পোন-প্ৰথম মান-ভগনৰ দিনতে তেওঁ সপৰিয়ালে ভাগি আহি, ন-পমুৱা বিষয়াবৰ্গৰ আগেয়েই, সেই ঠাইত থিতাপি হৈ আছিল। বিষয়াসকলে তেওঁৰ আঁতিগুৰিৰ প্ৰকৃত কথা জানিবলৈ পাই আকৌ এক নতুন আনন্দৰ ঢৌ তুলি দিলে। একেদৰেই ভিতৰতো বিষয়ানীসকলৰে সৈতে দুই আইতাকৰ আলাপ-পৰিচয়ত আনন্দৰ সীমা নোহোৱা হল। সেই একেদৰেই সকলোৱে নিজ নিজ কামলৈ পাহৰি কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰতে সন্ধিয়ালৈকে বিভোল হৈ থাকি, ৰাতি হে ঘৰাঘৰি

হল। কীৰ্ত্তিনাথ গোহাঞি-ফুকনে তাৰ পাচত মহা আয়োজনেৰে মিত্ৰ-ভোজন কৰাই পৰম সন্তোষ লাভ কৰিলে ; আৰু ৰাতিটোৰ নিমিত্তে সকলোটিয়ে সপোনত স্বৰ্গসুখ ভুঞ্জি নিদ্ৰাদেৱীৰ কোলাত বিশ্ৰাম ললেগৈ।

এপৰমানলৈকে এই মিলনৰ আনন্দৰ ঢৌ মাৰ যোৱা নাই। প্ৰত্যেক দিনে বিষয়াসকল চাপি কীৰ্ত্তিনাথ গোহাঞি ফুকনৰ চ'ৰাত বহি মেল পাতেহি। শান্তিৰাম গোহাঞি বৰুৱাই নিজৰ জীৱনৰ ঘটনাৱলী দিনৌ বৰ্ণাবলৈ ধৰিলে। ভিতৰৰ ফালৰ বিষয়ে নকলেও হয়, যি তিৰোতা সমাজৰ মেলৰ গম্‌-গতি কেতিয়াবা পাই থৈছে, তেওঁ কমলৰ আইতাক আৰু দেউতাকে বৰনৈৰ বুকৰপৰা কেনে আচৰিত ভাৱে উদ্ধাৰ পালে তাৰ বৰ্ণনা অনুভৱতে উপভোগ কৰিব পাৰিব, তাকে পাবলৈ তিৰোতাসকলে একাগ্ৰপতীয়া মনোযোগ দি শুনিবলৈ ধৰিলে। এইদৰেই আৰু এপৰমান যাব লগা হলহি। সিমানতে, বিষয়াসকলে পুৰণি মিত্ৰ শান্তিৰাম গোহাঞি-বৰুৱাক সিবিলাকৰ পামপুৰতে থিতাপিত হবৰ কাৰণে প্ৰস্তাব কৰিলে। গোহাঞি-বৰুৱা ডাঙৰীয়াই, বুঢ়া কালত পতা সিখন ঘৰৰ মোহ এৰিব নোৱাৰি পোনতে মান্তি হবলৈ টান পাইছিল। কিন্তু, সমান মিত্ৰ আৰু জ্ঞাতি কুটুম্বৰ লগ-সঙ্গৰ আশাই তেওঁৰ সেই মায়া-মোহ জিনি পেলালে। বিষয়াসকলে, বিশেষকৈ কীৰ্ত্তিনাথ আৰু কৃষ্ণৰাম গোহাঞি ফুকনদ্বয়ে টানি ধৰাত তেওঁ নতুনকৈ পতা ঘৰ তুলি আনি পামপুৰতে নিগাজীকৈ ঘৰ পাতিবলৈ স্থিৰ কৰিলে। অহঃ, সেই সুখৰ সিদ্ধান্তটিয়ে লাহৰী-কমলৰ অন্তৰত কি যে মৌ-বৰষাইছিল। ঘৰ নো কি তুলি আনিব, বিষয়াসকলে গোহাঞি বৰুৱাৰ সেই ন-পমুৱা ঘৰত এৰি অহা ল'ৰা-তিৰোতা লগা লগুৱাটোৱে সৈতে বয়-বস্তু অনাই সিবিলাকৰ মাজতে এখন আহল-বহল বাৰীত তেওঁক নিয়মীয়াকৈ বিষয়াৰ যোগ্য ঘৰ-বাৰী যুগুত কৰি দিলে। শান্তিৰাম গোহাঞিবৰুৱায়ো পুত্ৰ-পৰিয়ালৰে সৈতে মহাসুখে নতুন ঘৰ-বাৰীত বাস কৰিবলৈ ধৰিলে। কিন্তু, কমলৰ হলে তেতিয়াও দুখন ঘৰ, তেওঁ, যেতিয়াই মন যায়, কৃষ্ণৰাম গোহাঞি-ফুকনৰ ঘৰতো আগৰ দৰেই থাকেগৈ।

শান্তিৰাম গোহাঞি-বৰুৱাই নতুন ঘৰ-বাৰী পাতি সুখেৰে বাস কৰি থকাও ভালেমান দিন হল। ইয়াৰ ভিতৰত লাহৰী-কমলৰ বিয়া সম্বন্ধীয় কথা ঘৰে-ঘৰে সদায় কোৱা-মেলা হৈয়ে থাকে, তথাপি দেশাচাৰ মতে খোজা-বঢ়া আদি হোৱা নাই এথোন। পিচে, এদিন কৃষ্ণৰাম গোহাঞি-ফুকনে শান্তিৰাম গোহাঞি-বৰুৱাৰ চ'ৰাত জন-চাৰেক বিষয়াৰে সৈতে বহি থাকোঁতে ছেগ বুজি লাহেকৈ প্ৰস্তাবটি তুলিলে। বিষয়া কেইজনেও পাহৰি থকা কথা মনত পেলাই দিয়াৰ দৰে হে ভাবিলে। সিবিলাকে তেতিয়াই স্থিৰ কৰিলে যে, দুই-চাৰি দিনৰ ভিতৰতে কন্যাৰ ঘৰত শৰাই পেলোৱাগৈ হওক ; আৰু, অহা ফাগুন মাহতে বিয়াৰ শুভদিন স্থিৰ কৰা যাওক। তালৈকো সৰহ দিন নাই, মাজতে মাঘ মাহটো মাথোন আছে। পিচে, যথা-সময়ত কৃষ্ণৰাম গোহাঞি ফুকন আৰু শান্তিৰাম গোহাঞি-বৰুৱাই বিষয়াসকলক চপাই লৈ কীৰ্ত্তিনাথ গোহাঞিৰ চ'ৰাত ছোৱালী খুজিবলৈ বহিলহি। বাহিৰে-ভিতৰে আনন্দত ঠাই নাই, কীৰ্ত্তিনাথ গোহাঞি আৰু তেওঁৰ মৰমৰ ভাৰ্য্যাই আনন্দৰ মিচিকিয়া হাঁহি সামৰিব পৰা নাই। মানুহক বন দিহাই ফুৰোঁতেও মাজে-সময়ে অৰ্থশূন্য হাঁহি মাৰি সিবিলাক ধৰা পৰিছে! কিন্তু পাঠক, সেই সময়ত সেই আনন্দৰ ঢৌ আমাৰ লাহৰী-কমলৰ হিয়াত কি দৰে খেলাইছিল,অনুমানত এবাৰ অনুভৱ কৰি চাওক। হাঁয়, সেইদিন, আৰু এইদিন! সেইবাৰ ছোৱালী খুজিবলৈ অহাত লাহৰীৰ অৱস্থা ; আৰু আজি তিৰোতাৰ সমাজত লাহৰী!—আন্ধাৰ আৰু পোহৰৰ বিজুনি। খোজা-বঢ়াৰ ফল কি ধৰিল, আমি নৌ কওঁতেই পাঠকসকলে বুজিছেই, ; এতেকে তাক বৰ্ণাবৰ সকাম নাই।

ফাগুন মাহ পালেহি। বসন্তৰ উল্লাহত প্ৰকৃতি দেৱীয়ে মোহিনী সাজেৰে গা দেখা দিলেহি। ৰিব্‌ৰিব্‌কৈ মলয়া বতাহে প্ৰেমিক-প্ৰেমিকাৰ কাণে কাণে মধু-মিলনৰ শুভ বাতৰি বিলাবলৈ ধৰিলে। গতিকে, আমাৰ পুৰণি চিনাকি প্ৰেমিক-প্ৰেমিকাৰো হিয়াৰ ভাব মলয়া-কটকীৰ জৰিয়তেই দিয়া-দিয়ি হল। ঘৰে-বাহিৰে সকলোৰে মন-প্ৰাণ বিয়াৰ বতাহে অলপ-অচৰপকৈ নচুৱাবলৈ ধৰিলে। 'লাহৰী আইদেউৰ বিয়া চাপিছে' এই ভাবত ঘৰে ঘৰে ল'ৰা, ডেকা,

বুঢ়া, মুনিহ, তিৰোতা, জীয়াৰী, বোৱাৰী, দুখীয়া, সুখীয়া, সৰু, বৰ, বিষয়া, বিষয়ানী সকলোৰে মন উলাহত নাচিবলৈ ধৰিলে। বহু দূৰণিৰপৰাও গঞা বন্ধুসকলে সুখী-দুখী অৱস্থাৰে যেয়ে যি পাৰিছিল একোখন বিয়া-ভাৰ-ভেঁটীৰে-সৈতে বিয়াৰ জো-যা কৰি দি, বিয়াঘৰীয়া দুঘৰক উপযাচি সহায় কৰিবলৈ ধৰিলে। বিষয়াসকলে বিশেষকৈ দৰাৰ ঘৰত সহায় কৰিবলৈ মন কৰিলে। এনেতে, এথোকা তামোল, এমুৰা পাণ, একাষি মালভোগ কল, এযোৰ কেৰিগুৰ, এটেকেলি দৈ, এটোম কোমল চাউলৰ ভাৰ এখনৰে সৈতে আদহীয়া গঞা এটি দৰাঘৰত উপস্থিত হলহি; কানৰপৰা ভাৰখন নমোৱা মাত্ৰকে কমলে উধাতু খাই লৰি গৈ মানুহটিক গৰামাৰি ধৰিলে! শান্তিৰাম গোহাঞি বৰুৱা তধা লাগিল! গোহাঞি-বৰুৱানীয়েও বুলনিৰপৰাই চাই বিস্ময় মানিলে!—কিয়? সেইটি নো কোন্?—সেইটি আন নহয়, সেই নাও বুৰি তল যোৱা ভোগৰাম লিগিৰা! সি এতিয়া এটি গৃহপুৰীয়া গঞা। এইদৰেই বিয়াৰ চাৰি-পাঁচ দিনৰ আগতে দুয়ো ঘৰত সকলো আয়োজন যুগুত হৈ উঠিল। বিয়াৰ দিন যিমানেই চাপি আহিল, গাৱঁৰ মানুহৰ গা-মন উলাহত সিমান বেচিকৈ উৰুলীকৃত হবলৈ ধৰিলে। যথাসময়ত শুভ-বিয়াৰ উৎসৱ আৰম্ভ হল। মহা আড়ম্বৰ আৰু ধুমধামেৰে পামপুৰৰ মানুহৰ অতি হেঁপাহৰ সাদিনীয়া বিয়াৰ শুভকাৰ্য্য নিৰাপদে সম্পাদিত হল। আজি ইমান দিনে অনেক লীলা-খেলা দেখুৱাই লীলাময় পৰমেশ্বৰে লাহৰী-কমলৰো বহুদিনৰ মনোবাঞ্ছা সিদ্ধি কৰিলে। লাহৰী-কমলেও সেই দীনবন্ধু দয়াময় পৰমেশ্বৰৰ অভয়-চৰণত তেওঁবিলাকৰ একান্ত ভক্তি গাঢ়তৰ কৰি মহাসুখেৰে দিন নিয়াবলৈ ধৰিলে।

পামপুৰৰ সেই মহোৎসৱৰ আনন্দৰ ঢৌ লাহৰী-কমলৰ শুভ-বিয়া সম্পাদন হৈ যোৱাৰ বছৰেকৰ পাচলৈকো পাম-পুৰীয়া সুখী-দুখী আৰু বিষয়াসকলৰ হিয়াত মাৰ যোৱা নাছিল। এনে আনন্দৰ বুৰবুৰণিৰ মাজে দি লাহৰী-কমলৰ পবিত্ৰ দাম্পত্য সুখৰ সোঁত নিৰুদ্বেগে বৰলৈ ধৰিলে। দুপৰ-সুৰুযৰ দকমকীয়া কিৰণৰ দৰে সিবিলাকৰ নৱ সংসাৰৰ পুণ্যপ্ৰভা দকমকাই উঠিল। লাহৰী-কমল এতিয়া মিলন-মালা পিন্ধি আপোন-পাহৰা পবিত্ৰ ভাৱত বিভোল! মাজে মাজে মাথোন লাজে সেই সৰল প্ৰাণী দুটিক মনমোহা সাজেৰে সজাই সিবিলাকৰ মিলন-জ্যোতিৰ জেউতি চৰায়; পৰৰ সুখত অনুপম সুখ অনুভৱ কৰিব জনা পামপুৰৰ সৰল মানুহবিলাকে তাকে চাই অতুল সুখৰ অধিকাৰী হয়। সৰুৰেপৰা হাতত ধৰাধৰিকৈ উঠা, মনত পৰাৰেপৰা দুয়ো মুকলি মনেৰে মনোভাৱ সলনা-সলনি কৰি পৃথিৱীতে স্বৰ্গৰাজ্য পতা, সৰল ভাৱত ডিঙ্গি-ধৰাধৰিকৈ কৰুণ দৃষ্টিৰে লাজৰ পাখি কাটি মুকলিমূৰীয়াকৈ ফুৰা লাহৰী কমলৰ এতিয়া মানুহে দেখাকৈ দেখা-দেখি হলেও চকুত চাঁট মাৰে; মানুহৰ আগতে দুয়ো মনৰ ভাব সলাব লগা হলে চকু মুদ খাই যায়; হঠাৎ ওচৰা-ওচৰি বা ভেটা-ভেটি হওঁতে কাপোৰৰ বা-লাগি যোৱা ধৰা পৰিলেও দুয়ো লাজত জঁয় পৰে! লাহৰীৰ আগত 'দেউতাৰাৰ ঘৰ' বুলিলে, তেওঁক কি যে এক আনন্দ-বেজাৰে ভেটি ধৰেহি তেওঁ কব নোৱাৰে, কিন্তু তেওঁৰ মুখৰ সঘন বৰণ-সলনিয়ে তাৰ চিনাকি দিয়ে। লাহৰীয়ে এতিয়াও তেওঁৰ মৰমৰ ফুলনি বাৰীলৈ পাহৰিব পৰা নাই, এতিয়াও তেওঁ মাজে মাজে ছেগ বুজি একোপাকত চাই প্ৰাণ জুৰ কৰি আহেগৈ! কিন্তু, ঘৰৰ বা পৰৰ কোনোবাই তাত ধৰা পেলালে হে তেওঁ নিলাজী জুপিৰ দৰে সেই পোনেই জঁয়পৰি যায়! বিশেষকৈ, কেতিয়াবা তেনে অৱস্থাত কমলৰে সৈতে দেখা-দেখি হব লগাত পৰিলে, তেওঁ ওলমি-পৰা গোলাপৰ পাহিটিৰ দৰে লাজভৰা লাহৰী মুখখনি ওলমাই গুৱনি ফুলনিৰ চতুৰ্গুণে শোভা বঢ়ায়। তাকে চাই চাই সৰল প্ৰাণী ডালৰ কপৌ-কপৌৱনীয়েও প্ৰেমৰ ৰাগীত চকু পিৰিকিয়াই উঠে! বিষয়া-সকলৰ কোনোবা এঘৰৰ পোহনীয়া হৰিণাযুৰিয়ে ডিঙ্গি ভঙ্গা বেঁকা দৃষ্টিৰে তাকে চাই যেন অনুপম সুখত পমিয়েই যায়! গাৱঁৰ চালুকীয়া ল'ৰা-ছোৱালীয়ে লাহৰীক সেই অৱস্থাত লগ পাই সৰলভাৱে আনন্দত উধাও হৈ জঁপিয়াবলৈ ধৰে! দেহি! লাহৰী-কমল দেখোন কেনিও ওলাবই নোৱাৰা হল! যেনিয়েই চকু মেলে, সেই ফালৰেপৰা কিবা অৰ্থশূন্য মিহলি ভাৱৰ চমকনিয়ে লাহৰী-কমলৰ চকুত চাঁট মাৰেহি! কিন্তু, সেই বুলি লাহৰী-কমলৰ অশান্তি নে?

সেই বুলি ৰং-চোৰা কপৌ-কপৌৰনী, হৰিণা-হৰিণী, ল'ৰা-ছোৱালীৰ প্ৰতি সিবিলাকৰ অন্তৰত বিৰক্তি ভাব ওপজে নে? লাহৰী-কমলে দেখোন বাহিৰত চকু মেলিব নোৱাৰে যদিও, ভিতৰি দুয়ো সেই অজলা সৰল প্ৰাণীবোৰক ধৰি আনি বুকুত সুমাই লবলৈ হে মন কৰে! বাহিৰৰ জঙ্গলৰ-পৰা গা সৰাই লাহৰী-কমল যেতিয়া নিজান কুঁঠৰীৰ মিলন-পীৰাত বহি প্ৰেমালাপত মগ্ন হয়, তেতিয়া সিবিলাকে সেই সৰল প্ৰাণীবোৰৰ কথা, ফুলি ফুলি শলাগ লোৱা ফুল কেইপাহিৰ কথা, কেঁৰাকেঁৰিকৈ চকু দি সিবিলাকৰ লাজ বঢ়োৱা বোৱাৰী-জীয়াৰীসকলৰ কথাৰেই হে পবিত্ৰ প্ৰেমালাপৰ পকনি তোলে! পুৰণি সোঁৱৰণীৰে সৈতে দুয়ো নিতৌ নতুন প্ৰেমভাবৰ নৱ ৰস ওপচাই লয়! ইটিয়ে সিটিক তাহানিৰ চিঠিৰ কথা সোঁৱৰাই চেনেহৰ লাজ দিয়া-দিয়ি কৰে! যতনেৰে সাঁচি থোৱা চিঠিৰ একোখনি উলিয়াই ইটিয়ে সিটিক ধৰা পেলোৱা-পেলুই কৰে! বিপদৰ সময়ত দুইকো দুয়ো বুজনি দিয়া-দিয়ি কৰা কথা উলিয়াই আনন্দৰ ৰাগী চৰায়! কমলক ধৰি নিয়া দেখি লাহৰীয়ে বিপদৰ জঁাপ দিয়া আৰু লাহৰীৰ নিমিত্তেই কমলে মানইতৰ গঁতা-ঘোঁকটা খাই আধামৰা হোৱাৰ সোঁৱৰণীয়ে মাথোন ক্ষন্তেকৰ নিমিত্তে অন্তৰৰ তপত ভাব জেকা কৰে; মানৰ হাত এৰাই পলাওঁতে বাটত লাহৰীৰ গাৰ দুৰ্গতিৰ বৰ্ণনা আৰু ইফালে ধৈৰ্য্যতাৰ আধাৰ স্বৰূপ কমলৰ বাতুল অৱস্থাৰ বিষয় উনুকিয়নিৰ বেজাৰ-সোঁৱৰণীৰে প্ৰেমালাপত উতলি তৰল হোৱা প্ৰেমৰস আগতকৈও ডাঠ হয়। এইদৰেই লাহৰী-কমলৰ সুদিনৰ সোঁত গম্ ধৰিব নোৱাৰাকৈ বৈ-বৈ যাবলৈ ধৰিলে।

পামপুৰৰ সেই শুভ-বিয়া সম্পাদন হৈ যোৱাৰপৰা পাঁচ বছৰ পাৰ হৈ গল। ইয়াৰ ভিতৰত নৱ দম্পতীৰ সুখ-সম্ভোগ আৰু পবিত্ৰ মিলনত বিৰিঙ্গি উঠা প্ৰেম-পৰিচয়ৰ বিষয়ে অনেক অলেখ কথা কবলৈ থাকিল। থাকিল থাওক, তাক অনুমানত লবলৈকে থোৱা হল। এই দম্পতীৰ পূৰ্ব্বৰাগৰ চিত্ৰেৰে ৰিজাই, এই ছোৱাৰ মনে-পতা এটি চিত্ৰ চায়ে পাঠকে মন পতিয়াওক। যোৱা পাঁচ বছৰৰ আনন্দময় সংসাৰৰ শুভ-ফল ভুঞ্জি লাহৰী-কমল আৰু সিবিলাকৰ মৰমৰ পিতৃ-মাতৃ সদায় আনন্দত আপোন-পাহৰা! আৰু, তাৰ ফল স্বৰূপ, তেতিয়া লাহৰীৰ কোলাত এটি বছৰেকীয়া চালুকীয়া পুত্ৰধন আৰু কমলৰ কোলাত তিনি-বছৰীয়া এটি কন্যাৰত্ন। ছোৱালিটি লৰি ফুৰে, কথা কব পৰাও হৈছে। ঘৰৰ সকলোৱে ছোৱালীটিক 'মইনি' বুলি মাতে। মইনিয়ে বাহিৰত উমলি থাকোঁতে যি দেখে, যি শুনে সকলো আইতাকৰ আগত বৰ্ণায়হি। এইদৰে সুখৰ দিন বৈ-বৈ গৈছে। এনেতে, এদিন শান্তিৰাম গোহাঞি-বৰুৱাৰ চোতালত এটা চেৰাবলিয়া জঁটীয়া বৰাগীয়ে লাউ-টোকাৰী বাই হাঁহি-কিৰিলিৰে নাচোন ধৰিলেহি! মইনিয়ে দেখিয়েই ভিতৰলৈ লৰি সোমাই আনন্দত উধাও হৈ, এহাতে দেউতাক আৰু ইহাতে আইতাকক আঙুলিত ধৰি বাহিৰলৈ টানি আনিলেগৈ। বলিয়া বৰাগীয়ে মূৰ জোকাৰি টোকাৰী বায় আৰু ঘেঁাৰাৰ দৰে ঢেক্‌ঢেকাই অৰ্থশূন্য হাঁহি মাৰে! লাহৰী-কমলে অলপ পৰ মন পাৰি চাই চিনিলে, দেহি, সেইটি তাহানিৰ ৰত্নেশ্বৰ ধুনীয়া ডেকা! তাৰ পিচমুহূৰ্ত্তৰপৰা সেই বলিয়া বৰাগী কোন্‌ফালে কলৈ গলগৈ কেৱে কব নোৱাৰে।

একবিংশ আধ্যা

শান্তিপুৰ

লাহৰী-হৰণ আপদীয়া ঘটনাই পামপুৰৰ শ্ৰী হঠাৎ বিশ্ৰী কৰি পেলাইছিল। সদৌ গঞাৰ মনত আকৌ 'মানৰ দিন'ৰ ভয়াবহ ভাবে অযাচিতে থিত্ লৈছিল। মানুহৰ মনত উলাহ নাই, কাম-বনত ৰাপ্ নাই, কোনোমতে পেটে-ভাতে জীৱিকা লৈ জীৱন ধৰিছিল। ফলত, পামপুৰৰ বাহ্যিক দৃশ্যও ক্ৰমাৎ মৰামুৱা হৈ আহিছিল। সেইদৰেই বিবাদী পামপুৰৰ ভালেমান দিন পাৰ হৈছিল। কিন্তু, পামপুৰৰ জেউতি জঁয় পৰিছিল বুলিও, সি সমূলে নাশ পাবলৈ নহল, লাহৰীৰ পুনৰুদ্ধাৰৰ ফলস্বৰূপ সেই অদ্ভুত মহামিলনে পামপুৰৰ পূৰ্ব্বৰ জেউতি পুনৰপি বাহিৰে-ভিতৰে চৰাই আনিলে। গঞাৰ মনত আকৌ উলাহ আৰু কাম-বনলৈ ৰাপ্ বাঢ়ি আহিল। ফলত, ন-পমুৱা বিষয়াসকলৰ পামপুৰ নগৰ সুখ-

শান্তি আৰু ঐশ্বৰ্য্য-বিভূতিৰে সৈতে আগতকৈও টনকিয়াল হৈ উঠিবলৈ ধৰিলে। দৈহিক, নৈতিক, আৰ্থিক, সামাজিক, শিক্ষা, শিল্প, বাণিজ্যাদিৰ উন্নতিয়ে ৰাইজৰ সুখ-সমৃদ্ধি বঢ়াই পামপুৰৰ ক্ৰমাৎ শ্ৰীবৃদ্ধি কৰি আনিলে।

শান্তিৰাম গোহাঞিবৰুৱা এজন বৰ শিক্ষানুৰাগী পুৰুষ আছিল। উচ্চশিক্ষা বিস্তাৰলৈ তেওঁৰ বৰ ধাউতি। বিয়েয়াক কীৰ্ত্তিনাথ গোহাঞিফুকনো এজন বিদ্যোৎসাহী লোক; পামপুৰ নগৰ প্ৰতিষ্ঠা হোৱাৰ লগে লগে তেওঁ পোন-প্ৰথমতে এটি পঢ়াশালি পাতি দি ল'ৰা-ছোৱালীৰ লিখা-পঢ়া শিক্ষাৰ বাট মোকলাই দিয়াৰ কথা ইতিপূৰ্ব্বতে উনুকিয়াই অহা হৈছে। এতিয়া, গোহাঞি-বৰুৱাই তাতে খোপনি-পিটি লৈ এই ন-নগৰত উচ্চশিক্ষা বিস্তাৰ কৰিবলৈ মন মেলিলে। তেওঁ লগৰীয়া বিষয়াবৰ্গৰে সৈতে আলোচনা কৰি, আগৰ সেই পঢ়াশালিটিকে ওখ-খাপলৈ তুলিবলৈ দিহা লগালে। তদৰ্থে, তেওঁ দক্ষিণপাৰৰপৰা ধীৰেশ্বৰ শৰ্ম্মা-বৰুৱা নামেৰে আহোম ৰজাদিনীয়া বিষয়া-বংশধৰ উচ্চশিক্ষিত সংস্কৃতজ্ঞ সুপণ্ডিত এজন অনাই সেই পঢ়াশালিৰ প্ৰধান শিক্ষক পাতি, তেওঁৰ তলে আৰু দুজন শিক্ষক নিযুক্ত কৰি দি, পামপুৰ ন-নগৰত উচ্চশিক্ষা বিস্তাৰৰ পথ প্ৰশস্ত কৰি দিলে। সেই অনুক্ৰমে সেই ন-পাম নগৰখন অনতিপলমে লিখা-পঢ়া, শিক্ষা-শিল্প-অনুশীলন, সাহিত্য-চৰ্চ্চা, বাণিজ্য-বিস্তাৰ আদি উন্নত অনুষ্ঠানৰ কেন্দ্ৰস্থল হৈ উঠিল। ফলিতাৰ্থত, সৰ্ব্বতোভাৱে সৰ্ব্ববিষয়ত উন্নতি লাভ কৰি নগৰখন শান্তিধাম যেন হৈ জলিকি উঠিল; আৰু সেই আলমতে, সদৌশেহত, 'পামপুৰ' নগৰ 'শান্তিপুৰ' নামে খ্যাত হ'ল। এনে হেন শান্তিময় ধৰাধামত নৱ-দম্পতী লাহৰী-কমলে মহা সুখ-শান্তিৰে সংসাৰ যাপন কৰিবলৈ ধৰিলে।

দ্বাবিংশ আধ্যা

ঘৈণী লাহৰী—আদৰ্শ দম্পতী

নাৰী-জীৱনকাল ঘাইকৈ তিনি ছোৱা;- জীয়াৰী, বোৱাৰী আৰু ঘৈণী। প্ৰেমিকা লাহৰীৰ প্ৰেমময় জীয়াৰী কালৰ কথা আগতে বহলাই কোৱা গৈছে; লাজুকী লাহৰীৰ লাৱণ্য বোৱাৰী কালৰ বিষয়ে মাজতে উনুকিয়াই অহা হৈছে; পতিপ্ৰাণা লাহৰীৰ আদৰ্শ ঘৈণীকালৰ অতৃপ্ত বিবৃতিৰ এতিয়া আভাস মাথোন দিয়া যায়।

লাহৰী পাঁচোটি সন্তানৰ মাক হওঁতেই, লাহৰী-কমলৰ পিতৃ-মাতৃ আৰু শাহু-শহুৰ বিয়োগ হয়। সেই অৱধি লাহৰী-কমলে স্বতন্ত্ৰীয়াকৈ ঘৰ-গৃহস্থী কৰিব লগাত পৰে। তেতিয়াৰেপৰাই লাহৰীয়ে ভিতৰত ঘৰ-ঘৈণীৰ কৰ্ত্তব্য পালনত আৰু কমলে বাহিৰত বিবিধ বিষয়ক সাংসাৰিক কাৰ্য্য চম্ভালনত একাণপতীয়াকৈ লাগি যায়। কিন্তু, বাজ-ভিতৰ দুয়োবিধ ঘৰুৱা কাম-বনত দুয়ো দুইকো সততে সোধা-পোছা কৰি হে গৃহস্থালী ধৰ্ম্ম পালন কৰে। লাহৰীৰ মানত স্বামী-গুৰু কমল সাক্ষাৎ আৰাধ্য দেৱতা;—স্বামী-সেৱা, স্বামী-পূজা লাহৰীৰ দৈনন্দিন-কৰ্ত্তব্য। কমলৰ মানত প্ৰিয়তমা ভাৰ্য্যা লাহৰী সবাতোপৰি সাদৰী সম্ভাৰ; চেনেহৰ ভাৰ্য্যাৰ প্ৰতি অসূয়া-অপ্ৰীতি নকৰিবলৈ কমল সততে সতৰ্ক। সন্তান-পালন, সন্তানৰ চৰিত্ৰ গঠন, সন্তানক শিক্ষা-জ্ঞান-দান এই কেইটা ঘৈণীৰ ঘাই ঘাই কৰ্ত্তব্য বুলি মানি লাহৰীয়ে তাক নিয়াৰিকৈ পালন কৰাত পাৰিতপক্ষে কাচিতো অন্যথা নকৰে। কমলনাথ গোহাঞিবৰুৱাই পৰিয়াল পালনৰ ওপৰঞ্চিকৈ জ্ঞাতি, জাতি আৰু সমূহ গঞা-ৰাইজৰ মঙ্গল চিন্তা আৰু নিজ নগৰ পামপুৰৰ সৰ্ব্বাঙ্গীন উন্নতি সাধনত তেওঁৰ পূজনীয় পিতৃ-দেৱতা ৺শান্তিৰাম গোহাঞি বৰুৱাৰ জলন্ত পটন্তৰ সততে আগত লৈ, সংসাৰ-যাত্ৰাত কৃতকৃত্য হৈ আগুৱাবলৈ ধৰিলে। সেই অনুক্ৰমে, লাহৰী-কমল আদৰ্শ দম্পতীয়ে আপোন চৰিত্ৰৰ মোহেৰে গঞা-ৰাইজক বিমোহিত কৰি, পামপুৰত মুকুটবিহীন ৰজা-ৰাণী সদৃশ মান-সৎকাৰ উপভোগ কৰি, সিবিলাকৰ সোণাময় সংসাৰৰ জেউতি চৰাবলৈ ধৰিলে।

অতৃপ্ত সামৰণ

ভানুমতী

প্ৰথম পাতনি

'ভানুমতী' ৰচোঁতাৰ পোন-প্ৰথম সাহিত্যিক অৰ্জ্জন। ইয়াক অসমীয়া সাহিত্য-ভঁৰালত তেওঁৰ লখিমী বুলিব লাগে। ১৮১২-১৩ শকৰ 'বিজুলী'ৰ পোহৰত ই ছোৱা-ছোৱাকৈ প্ৰকাশিত হৈছিল। তাৰ পাচত, ইয়াক সুকীয়াকৈ উলিয়াবৰ অৰ্থে ভালেমান দিনৰেপৰা মন কৰা হৈছিল; আন কি, ৰচোঁতাৰ আনবিলাক কিতাপৰ তালিকাত ইয়াৰ নামো ওলাইছিল। কিন্তু, সময় আৰু সুবিধাৰ অভাৱত ইমান দিনলৈকে মনৰ কথা মনতে ৰৈছিল। এই গ্ৰন্থকাৰৰ দ্বাৰাই সম্পাদিত 'বিজুলী'ৰ পোহৰত দেখা 'ভানুমতী'ৰ আঁতিগুৰি আগৰভাৱেই আছে; এতিয়া মাথোন ভানুৰ কিৰণত সুকীয়াকৈ চালে, তাৰে অলপ বেচিকৈ জেউতি চৰা দেখা যাব। সি যি হওক, সেই ৰাতিপুৱা ৰোৱা পুলিটি দুপৰীয়াৰ ৰ'দত ওলাব লগা হৈছে; এতিয়া, সি পাঠকৰ অনাদৰত লেবেলি জঁয় নপৰিলেই হয়। ইতি—

তেজপুৰ,
১ শাওণ, ১৮৩০ শক

বিনীত
শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

দ্বিতীয় পাতনি

১৯ বছৰীয়া ছাত্ৰজীৱনত, জয়-জয়তে কিতাপ-লিখিবলৈ কাপ ধৰোঁতে মোৰ অন্তৰত যি ভাব, ভাষা আৰু সাহিত্যৰ সঞ্চাৰ হৈছিল, আজি ৭০ বছৰীয়া বয়সত তাৰ লেশমানো লৰচৰ নকৰাকৈ পুথিখনৰ দ্বিতীয় তাঙৰণ উলিৱা হ'ল; মাথোন আগৰ ছপা-ভুল, বৰ্ণাশুদ্ধি, আখৰ-জোঁটনি, বৈয়াকৰণ দোষাদোষ ইত্যাদিত ওপৰে-ওপৰে হাত ফুৰাই দিয়া গৈছে। ইতি—

'পদ্মকুটীৰ', তেজপুৰ, অসম
ভাদ, শ্ৰীকৃষ্ণাষ্টমী, ১৮৬২ শক

ৰচোঁতা

উছৰ্গা

মোৰ

অতি চেনেহৰ বৰ-ভনী,

৺চন্দ্ৰশেখৰ বৰুৱাৰ প্ৰিয়তমা ভাৰ্য্যা

শ্ৰীমতী হীৰাৱতী আইদেউৰ

শিৰত

সৰু-ককাইদেৱাকৰ

আশীষ্-নিৰ্ম্মালি

গ্ৰন্থকাৰ

ভানুমতী

প্ৰথম আধ্যা

আপোন-চিনাকি

মোৰ নাম ভানুমতী। মই দেউতাৰ বহু সাধনাৰ ফল,—একেটি ৰত্ন। মোৰ জীৱনৰ আদিছোৱাৰ কথা একোকে মনত নপৰে। যি অলপ-অচৰপ কব পাৰোঁ, সি কেৱল এনাই-দেউতাৰ মুখৰপৰা শুনা কথাহে। মোৰ দেউতাৰ চাৰিগৰাকী ভাই-ককাই। দেউতা সবাতকৈ সৰু। পুথাওদেউতা ঢুকোৱাৰ পাচৰপৰা তেওঁ ককাই-দেৱাকসকলৰ আদৰত উলহৰ মাদলি আছিল। পিচে, যেতিয়া সিবিলাক তিনিওগৰাকীয়ে এজন এজনকৈ বিয়া কৰাই উঠি, আপাদেউসকলৰ হাতত ঘৃৰা উঘাৰ নিচিনা হল, তেতিয়াৰেপৰা সেই উলহৰ মাদলি লাহে লাহে বেজাৰৰ বোজা যেন হবলৈ ধৰিলে। তাৰ পাচত, আকৌ আপাদেউসকলৰ লেখ ক্ৰমাৎ তিনিগৰাকীৰপৰা ছগৰাকীলৈ বাঢ়িল। আৰু, তেতিয়াৰেপৰা হে ঘৰত দিনে-ৰাতিয়ে কছাৰী-ৰণ লাগিবলৈ ধৰিলে। ঘৰত কাৰো সুখ-শান্তি নোহোৱাত পৰিল। দেউতাৰ দুৰ্গতিৰ সীমা নাথাকিল, আৰু লাহে লাহে এইবোৰ কথা ৰজাৰ কাণত পৰিলগৈ। স্বৰ্গদেৱে, মন্ত্ৰী আৰু বিষয়াসকলৰে সৈতে যুগুতি কৰি, দেউতাক মতাই নিয়ালে। আৰু, চ'ৰাৰ বিচাৰমতে বৰ নিচাওদেউক ভাঙ্গি পুথাওদেউতাৰ মৰাণ গোহাঞিবৰুৱা বিষয়-বাব দেউতাক দিলে। দেউতাৰ স্বভাৱ-চৰিত্ৰ আৰু কথা-বাৰ্ত্তাত স্বৰ্গদেৱ বৰ সন্তুষ্ট হৈছিল। গতিকে, ৰাজ-অনুগ্ৰহৰ বলত দেউতাৰ প্ৰতিপত্তি আৰু ক্ষমতা সোনকালে বাঢ়িবলৈ ধৰিলে। তাৰ লগে লগে তেওঁৰ ঘৰ-গৃহস্থী, সুখ-সম্পদ, মান-গৌৰৱ আদিও বাঢ়ি আহিল। কিন্তু, ইমানবোৰ বাহিৰৰ সুখ-সম্পদেও তেওঁৰ অন্তৰত সুখ-শান্তি দিব নোৱাৰিলে,—তেওঁৰ সদায় বিষাদ, সদায় মন-মৰা। তাৰ কাৰণ হৈছিল, বহুকাললৈকে তেওঁৰ সতি-সন্তান নাছিল। কিমান যাগ-যজ্ঞ, পূজা-সেৱা আদি কৰালে, সকলো মিছা হল। বন্ধু-বান্ধৱে দেউতাক আৰু এগৰাকী ভাৰ্য্যা বিয়া কৰাবলৈ পৰামৰ্শ দিছিল, কিন্তু ককাইদেৱাক-সকলৰ দশালৈ চাই তেওঁ তেনে হিত-উপদেশ নললে। অন্তত, তেওঁ সন্তানৰ আশা এৰি দি নিশ্চিন্ত হৈছিল। এনেতে, ঈশ্বৰৰ ইচ্ছাত, এই অভাগিনীৰ জন্ম হয়। দেউতাৰ অন্তৰত আনন্দৰ পাৰ নোহোৱা হল। পণ্ডিতে পুথি-পাঁজি চাই মোৰ নাম ভানুমতী ৰাখিলে।

কথমপি মোৰ বয়স তিনি বছৰ হওঁতেই ঈশ্বৰে মোক মাউৰী কৰিলে। মাতৃ-চেনেহৰ—যি পবিত্ৰ স্নেহৰ তুলনা নাই—সোৱাদ মই ভালকৈ নুবুজিলোঁ। কিন্তু, কেতিয়াবা সুঁৱৰি চালে মোৰ স্বৰ্গীয়া আইতাৰ মুখখনিলৈ মনত পৰে। আৰু, সেই চালুকীয়া বয়সত আইতাৰ আঁচলত ধৰি ভেও দি ফুৰা, কেতিয়াবা কোনোবাই ধৰ্ বুলিলে লৰ মাৰি আইতাৰ গাত গৰা মাৰি ধৰা, আইতাই মোৰ মূৰ মেলাই দিয়া আৰু কেতিয়াবা ওকণী চাওঁতে আমনি পাই কান্দি বলিয়া হোৱা এইবোৰ কথা এতিয়া ৰিণিকি ৰিণিকি মনত পৰে। আইতা ঢুকাবৰেপৰা মই দেউতাৰ মানত আলাসৰ লাৰু যেন হলোঁ। তেওঁ সততে মোক ওচৰৰপৰা নেৰা হল। ময়ো দেউতাক এখন্তেক নেদেখিলে আন্ধাৰ যেন দেখোঁ।

এইদৰেই মোৰ জীৱনৰ চালুকীয়া কাল পাৰ হল। তাৰ পাচত, মই যিমানেই বুজন হৈ আহিলোঁ, সিমানেই দেউতাৰ লগ ধৰা অভ্যাস পাতল হৈ আহিল। এই নিয়মে লাহে লাহে মোৰ বয়স চৈধ্য বছৰত সোমালহি। তেতিয়াৰেপৰা আল-পৈচান ধৰাত বাজে দেউতাৰ ওচৰ চাপিবলৈ মোৰ অভ্যাস নোহোৱা হল। আৰু, লাহে লাহে পাচলৈ অকলে থাকি হে ভাল লগা হল। কিন্তু, অকলৈ থাকোঁ বুলি চিন্তাই মোৰ লগ নেৰে। ধৰিবলৈ গলে, পাচলৈ চিন্তা মোৰ লগৰীয়া সখী যেন হৈ উঠিল। কেতিয়াবা

সেই চিন্তাতে ভোল গৈ আপোন-পাহৰা হওঁ। এনে কি, পাচলৈ মোৰ ভাব-গতি দেখি দেউতাও চিন্তাযুত হবলৈ ধৰিলে।

লাহে লাহে চিন্তা মোৰ লগৰী, মৰমৰ সখী আৰু সুখৰ কাৰণ হৈ উঠিল। দেউতা ৰজাৰ চ'ৰালৈ ওলাই গলেই মই আগফালৰ ফুলনিত, নাইবা পাচফালৰ পুখুৰী-পাৰত বহি চিন্তাৰ লগৰী হওঁ। তেতিয়া জগৎ-সংসাৰ নিটাল মৰা যেন পাওঁ। গছৰ পাত এখিলা সৰি পৰিলেও গম্ পাওঁ। এই অৱস্থাতে এদিন দুপৰীয়া। জেঠৰ বাৰখৰৰ তৃতীয় খৰ। ৰ'দে খাওঁ খাওঁ মূৰ্ত্তি ধৰিছে। আকাশত মৰল দিছে। গছৰ পাত লেৰেলি পাতত দিয়া টেঙেচিৰ দৰে হৈছে। বাহিৰত ধানলুভীয়া কাউৰী আৰু ধান-হাতত দিয়া বোৱাৰীত বাজে দেউ-মনিচ্ কাকো দেখিবলৈ নাই। সকলো ভিতৰত বহি শাঁত হৈছে। কিন্তু, বোৱাৰী-বেটীৰ শান্তি নাই! ধান হাতত দিওঁতে হাইৰাণ। ঘামে জুৰুলি বৈছে। কপালৰ ঘাম বৈ আহি চকু ছাটি পেলাইছে। তথাপি এফেৰি জিৰাবৰ সাধ্য নাই। ছাঁত বহি অলপ শাঁত হবলৈ গলেই ইফালে ধান খৰি যায়,— নাচনী শাহু-আই নাচি আহিব। নিৰুপায়! মনৰ খং মনতে মাৰ গৈছে। বোৱাৰী বেটীয়ে একোবাৰ বাঢ়নীৰে খুঁচি কণা মেঘৰ ইওটো চকু ফুটাবলৈ বাঢ়নী তুলিছে। একোবাৰ তেওঁ বেটীৰ খং বাঢ়নীতে সাৰিছে। এনে ক্ষণত, এনে উৎপতীয়া ক্ষণত এজন ডেকা আমাৰ পুখুৰী-পাৰলৈকে পোনাই আহিছে। মই মূৰ দাঙ্গি চাই হঠাৎ তেওঁক দেখি চঁক্ খাই উঠিলোঁ। কিয় চঁক খালোঁ কব নোৱাৰোঁ, কিন্তু পিচ-মুহূৰ্ত্ততে তেওঁক চিনি পালোঁ। তেওঁ আমাৰ চুবুৰীয়া। ডেকাজন ৰ'দত পকি পকা-থেকেৰাটিৰ দৰে হৈ আহিছে। দেখাতে বুজা যায় যে, তেওঁ কিবা আপদত পৰি উধাতু খাই আহিছে। মুখখনি বেজাৰত আমোলাই আহিছে। কিন্তু, মোৰ ওচৰ চাপিলত সেই চিন্ খন্তেকলৈ মুখৰপৰা আঁতৰ হল। আৰু, তেওঁ লাহেকৈ হাঁহি এটি মাৰি মোক মাত লগালে,—"ভানু, তুমি ইয়াত অকলৈ বহি আছা?" মই হৰিষ্ মনেৰে উত্তৰ দিলোঁ—"এৰা, ঘামত তৰণি নাপাই ইয়াতে বহি জুৰ লৈছোঁহি। তুমি নো ইমান ৰ'দত অকলৈ কলৈ গৈছিলা?" তেওঁ জিকাৰি উঠি কলে,—"অ, মই যাওঁ! মই বহুত পলম হে কৰি আছোঁ। মই ৰব নোৱাৰোঁ। দেউতাৰ সন্নিপাত্ জ্বৰত তত্ নাই। কি হয়গৈ ঈশ্বৰে হে জানে! মই বেজবৰুৱাক মাতিবলৈ গৈছিলোঁ। তেওঁ ৰাজবাটেদি গৈছেগৈ। মই এই পোনেই আহিছোঁ। ভানু! থাকিবাঁ এতিয়া দেই!" এই কেই আষাৰ কথা কৈয়ে চাৰু গোহাঞিদেৱে বেগা-বেগিকৈ ঘৰৰ ফালে খোজ ললে। আমাৰ ভঁৰাল-ঘৰৰ আঁৰ নোহোৱালৈকে মই তেওঁক চাই চাই চাই চাইয়ে ৰলোঁ! তেবোঁ মোলৈ তিনিবাৰমান উলটি উলটি চাই গৈছেগৈ!

দ্বিতীয় আধ্যা
দুপৰীয়া পুলি

মোৰ আৰু সেই দিন নাই। সেই পুখুৰী-পাৰত বহি চিন্তাৰ লগৰী হোৱা দিন মোৰ পাৰ হল। আগৰ চিন্তা আছে, কিন্তু আগৰ সুখ নাই। লগৰ চিন্তা লগতে ফুৰিছে, কিন্তু আগৰ দৰে লগ ধৰা ঠাইৰ ঠিকনা নাই। চিন্তাৰ লগ আগতকৈ বাঢ়িছে, কিন্তু সেইদৰে লগ লোৱা সময়ৰ ঠিক নোহোৱাত পৰিছে। শোওঁতে, খাওঁতে, উঠোঁতে, বহোঁতে মনত সদায় কি এটা চিন্তাৰ সোঁত আছেই। আৰু, সেই সোঁতত উটি কেতিয়া কি ভাৱে কলৈ যাওঁ কব নোৱাৰোঁ। কৰোঁ কি, কওঁ কি, কেতিয়াবা তাকো তৰ্কিব নোৱাৰোঁ। আচলতে ভাবোঁ কি, চিন্তা কিহৰ তাৰ উৱাদিহ্ নাই। এনে ভাৱে ভালেমান দিন গল। এনেকুৱা এদিনে-এবছৰ ভালেমান পাৰ হল। আগলৈ এদিন-এযুগ আৰু কতনা আছে চাগৈ!

চাৰু গোহাঞিদেৱক মই সেই দিনাই যে প্ৰথম দেখি-ছিলোঁ, এনে নহয়। মোৰ মনত পৰাৰেপৰা তেওঁ মোৰ লগৰীয়া। দুয়ো হাতত ধৰাধৰিকৈ উঠা। দুয়ো সৰুতে কিমান উমলিছিলোঁ! দুইৰো একালত কিমান হঁহা-কন্দা গল! দুয়ো দুইৰো অময়া প্ৰেমত কিমানকৈ মোহ গৈছিলোঁ!

আৰু, দুইৰো মনৰ মিল দেখি চাকুলী বাইহঁতে আমাক দৰা কন্যা বোলা এতিয়া মনত পৰে। এতিয়া আগৰ দৰে অহা-যোৱা ঘন নহয় বুলিও, গোহাঞিদেৱ আমাৰ ঘৰলৈ দিনটোত এবাৰ নহাকৈ নাথাকে। আগৰ নিচিনাকৈ ধেমালিৰ মেল পতা নহয় বুলিও, দুইৰো ভিতৰত এতিয়াও মতা-বোলা চলে। দুইৰো ভিতৰত এতিয়াও দেখা-দেখি মিলা-প্ৰীতি ৰৈছে। তথাপি, সিদিনা তেওঁক ন-চিনাকি যেন লাগি গল কিয়? সেই দিনা মই পুখুৰীপাৰত বহি থাকোঁতে গোহাঞিদেৱ ঘৰলৈ যাবলৈ পোনাই আহিছিল। সেইদৰে আগেয়েও তেওঁ কেতিয়াবা আহে। পিচে, সেই দিনা নো মই তেওঁক নেদেখাই-দেখাৰ দৰে দেখি চঁক্ খাই উঠিছিলোঁ কিয়? সেই দিনাৰ নিচিনাকৈ আগেয়েও কিমান বাৰ দেখাদেখি হয়; আৰু দুই চাইটা কথাৰে আকৌ এৰা এৰি হওঁক, কিন্তু, সেই দিনাৰ দেখাদেখি আৰু কথা কেই-আষাৰত নো কি মোহিনী শক্তি আছিল? আগেয়েও এৰা-এৰিত চকুৰ আঁৰ নোহোৱালৈকে দুইকো দুয়ো সেইদৰেই চাওঁ, কিন্তু সেই দিনাৰ চাৱনিত নো কি স্বৰগী মিহলি আছিল? এইবোৰ প্ৰশ্নৰ মই উত্তৰ কাটিব নোৱাৰোঁ। ভাবোঁ, কিন্তু তাৰ অন্ত নপাওঁ। সেই দিনাৰ সেই মুহূৰ্ত্তৰ কথা মোৰ মনত নতুন হৈয়ে আছে, কিন্তু তাৰ মহিমা মই বুজিব পৰা নাই!

সেই দিনাৰেপৰা তিন দিনৰ পাচত, চাৰুচন্দ্ৰ গোহাঞিদেৱৰ দেউতাক বৰগোহাঞি ডাঙৰীয়া সেই নৰিয়াতে ঢুকাল। বৰগোহাঞি ডাঙৰীয়া এজন বৰ লাগতিয়াল আৰু ৰজাৰ বিশ্বাসী মন্ত্ৰী আছিল। তেওঁ স্বৰ্গী হোৱাত স্বৰ্গদেৱৰ সোঁহাত ছিগাৰ দৰে হল। গতিকে, ডাঙৰীয়াৰ অকাল-বিয়োগত স্বৰ্গদেৱে বৰ সন্তাপ পালে। চাৰু গোহাঞিদেৱ মোৰে নিচিনা সৰুতে মাউৰা, তেওঁ এতিয়া ঘাট্‌মাউৰা হল। সেই কাৰণে, ৰজা আৰু ডাঙৰীয়া-বিষয়া সকলোৱে গোহাঞিদেৱক বৰ মৰম কৰিবলৈ ধৰিলে। আৰু, সকলোৱে ভাবি-চিন্তি চাই, তেওঁক তেওঁৰ পিতৃ-বন্ধু মোৰ দেউতাৰ তদাৰকত থবলৈকে স্থিৰ কৰিলে। গোহাঞিদেৱে দেউতাকৰ আসন লব পৰা বয়স নোপোৱালৈকে তেওঁক আমাৰ ঘৰত ৰখাটোকে স্বৰ্গদেৱেও স্থিৰ কৰিলে।

স্থিৰ হল ভাল হল, মোৰ হল কি? মোৰ সেই কথা লৈ উলহ-মালহ কিয়? সেই কথাই মোৰ মনত উগুল-থুগুল লগায় কিয়? গোহাঞিদেৱ আহিব, লগত লিগিৰা-লিগিৰীও আনিব, তেওঁক আল-পৈচান ধৰিবলৈ মোৰ ইমান ভাবনা কিহৰ? গোহাঞিদেৱ আহিব, আহিলে তেওক কি দিম, কি থম, কি কম, কি লম—এইবোৰ ভাবনা আপোনা-আপুনি মোৰ মনত আহে-যায় কিয়? কিয়, কব নোৱাৰোঁ। মোৰ মনটো যেন দুৱাৰ-মেলা উদং ঘৰ। গোহাঞিদেৱৰ ভাবনাই তালৈ আহিছে-গৈছে, সোমাইছে-ওলাইছে, আপোন মনেৰে যি ইচ্ছা তাকে কৰিবলৈ একিয়াৰ পাইছে। মই মাথোন নিলগৰপৰা চাই আছোঁ, চাই চাই চাই ভাল পাইছোঁ, মনে-মনে, প্ৰাণে-প্ৰাণে কিবা এটি ফুটাই কব নোৱাৰা সুখ অনুভৱ কৰিছোঁ।

এই ভাৱেই কেইবাদিনো গল। গোহাঞিদেৱক আমাৰ ঘৰলৈ অনাৰ কথা ওলাবৰ আজি তিনদিন। এই তিনটা দিন মোৰ মানত তিনটা ৰছৰ পাৰ হল। কিন্তু, গোহাঞিদেৱৰ অহা নহল! আহিব কাহানিকৈ তাৰো ঠিক বতৰা নাপালোঁ। নিতৌ আহিব আহিব বুলি আশা পালোঁ, নিতৌ হতাশ হওঁ। পুৱাৰেপৰা আশাত মন ঠন্ ধৰি উঠে, আবেলি হলে নিৰাশাত লেৰেলি জঁয় পৰে। ৰাতিটো নাযায়-নুপুৱায়। এইদৰেই তিনি-চাৰিকৈ পাঁচ দিন নাযায়-নাযায়কৈ গল, গোহাঞিদেৱৰ অহা নহল। নহা কেইদিন যেনে-তেনেকৈ পাৰ হল, আহিব বোলা আৰু কেই দিন আগলৈ আছে, তাক ভাবি অন্ত নোপোৱা হলোঁ। ইফালে পলম হোৱাত, নহাৰ আশঙ্কাই তাৰ লগতে উৎপাত্ লগাইছে। এইদৰেই আৰু দুদিন পাৰ হল, তথাপি গোহাঞিদেৱ অহাৰ ঠিৰাং বাতৰি পোৱা নগল। মন হতাশাৰ খুন্দাত ক্ৰমাৎ অৱশ হৈ আহিল। বাহিৰৰ আৱ-ভাৱ দেখি, মানুহে মোৰ মনৰ ভিতৰলৈ মন কৰা হল। এনে অৱস্থাত, এদিন দুপৰীয়া এইবোৰ কথাকে গুণি-গাঁথি পিচ-চোতালত বহি আছোঁ, এনেতে ৰজাৰ চ'ৰালৈ ওলাই যোৱাৰ সময়ত, দেউতাই লিগিৰাহঁতক এই বুলি দিহা দিয়া শুনিলোঁ, "আজি চাৰু গোহাঞিদেৱ আহিব। তেওঁৰ বয়-বস্তু আহিলা-পাতি সকলো দিহা লগাই থবিহঁক। আৰু,

গোহাঞিদেৱৰ শোৱা-খোৱাৰ বিষয়েও মই দিহা দিয়া মতে চলিবিইক; মই চ'ৰাৰপৰা আহোঁতে ল'ৰাক লগতে লৈ আহিম।" এই কেইআষাৰ আদেশ দি দেউতা ওলাই গল।

দেউতা ওলাই গল। মই একেচাবে উঠি ভিতৰ সোমালোঁ। কিয় সোমালোঁ কব নোৱাৰোঁ, পোনেই চাকুলী বাইৰ ওচৰত থিয় দিলোঁগৈ। চাকুলীয়ে আখেবেথে সুধিলে, "কি আইদেউ?" মোৰ উত্তৰ নাই! মই অলপ লাজ পাই তাৰপৰা আঁতৰি লাহে-লাহে লিগিৰাইতৰ ওচৰ চাপিলোঁগৈ। সিহঁতেও লৰালৰিকৈ কি কৰিব লাগিব বুলি সুধিলে। মই সিহঁতলৈকো একো উত্তৰ নাপাই, লাহে-লাহে তাৰপৰাও আঁতৰিব লগাত পৰিলোঁ। কিন্তু, উলটি কৈ গলোঁ যে, দেউতাই দিহা দি যোৱাৰ দৰে সিহঁতে কামলৈ সোনকাল কৰিব লাগে। লিগিৰাইত তেতিয়াই দিহাদিহি কামলৈ ওলাল। মই সিহঁতক এৰি চাংমাইৰ ওচৰ পালোঁগৈ। বুঢ়া চাংমায়ে খাই উঠি মুখত মুছদি লৈছিল। মোক দেখি সি লৰালৰিকৈ সুধিলেহি, "আইদেউ! আজি মোৰ ৰন্ধা-বঢ়া বা কেনে হৈছিল?" মই উত্তৰ দিলোঁ, "ভাল হৈছিল। আজিৰপৰা তাতোকৈ ভাল হব লাগিব দেই। আজি আমাৰ ঘৰত থাকিবলৈ আলহী আহিব বুজ পাইছা নে?" চাংমায়ে কলে, "হৈছে, আইদেউ! ডাঙৰীয়া-দেউতাই মোক সকলো বুজাই কৈছে।" মই 'বাৰু' বুলি ভিতৰ সোমালোঁগৈ।

ভিতৰ নিজঙ্গাল। বুলনিঘৰ একবাৰে নিজম পৰিছে। মোৰ মন-প্ৰাণ উৰুলীকৃত হৈ কলৈ উৰিছে মই কব নোৱাৰোঁ। কি কৰিম কি মেলিম একো উৰাদিহ্ পোৱা নাই। এইদৰে অলপ পৰ থাকি বটাটোকে আগত লৈ বহিলোঁ। তামোল কাটিবলৈ ধৰিলোঁ। এটা তামোল কাটি, তিনিখন থুৰিয়াই থৈ, এখন খালোঁ। আকৌ এটা চাই লৈ ফঁহিয়াবলৈ ধৰিছোঁ, এনেতে তামোল এৰি এবাৰ আঙুলিতে ৰেপ্ দিলোঁ! পাণ, তামোল, বটা তেজেৰে ৰাঙলী হল! ভাগ্যে থুৰিৰা তামোল তিনিখনিত তেজ নালাগিল। সেই তামোল কেখনি ইহাতে লাহেকৈ তুলি নি কৰণিত থলোঁগৈ। আৰু, চাকুলী বায়ে দেখে বুলি, তেজ লগা পাণ-তামোলবোৰ লৰালৰিকৈ বকৰাণিত পেলাই দি বটাটে চিন্ মাৰি ধুই পেলালোঁ। তাৰ পাচত, কটা-আঙুলিত চুণ-পাণ বান্ধি, বাহিৰলৈ ওলাই আহি দেখোঁ যে, গোহাঞিদেৱক পিচে-পিচে লৈ দেউতা বাট-চ'ৰা পাইছেহি! মই লৰ মাৰি আকৌ ভিতৰ সোমালোঁগৈ। কটা আঙুলিৰ বিষ ততালিকে গম্ নোপোৱা হলোঁ।

তৃতীয় আধ্যা

কুঁহিত পোক

মোৰ মনত পৰাখিনিত দেউতাক ৰজাঘৰলৈ অসময়ত যোৱা দেখা নাই। আৰু, ডাঙৰীয়া-বিষয়াসকল সেইদৰে ৰজাঘৰলৈ যোৱাৰ বিধিও নাই। সিদিনা সন্ধিয়াপৰত স্বৰ্গদেৱে দেউতাক কিয় মতাই নিছিল আৰু দেউতাৰে সৈতে গুপুতে কি আলচ পাতিলে তাৰ একো সম্ভেদ্ নাপালোঁ। সেই সম্ভেদ্ লবলৈ কিমান যে যত্ন কৰিলোঁ, সকলো মিছা হল। এদিন বুঢ়াগোহাঞি ডাঙৰীয়াৰে সৈতে কথাবাৰ্ত্তা হওঁতে দেউতাই হঠাত ৰজাঘৰলৈ যোৱা কথাটো ওলাইছিল। পিচে, দেউতাই ঠাইতে পাক লগাই কথাৰ ধাৰ অইন পাকে বোৱাই নিলে। ডাঙৰীয়াই টলকিব নোৱাৰিলে; কিন্তু মই কথাটোলৈ বেচকৈ মন কৰি আছিলোঁ।

দেউতা ৰজাঘৰলৈ যোৱাৰ পিচদিনাৰেপৰা মই গোহাঞিদেৱৰ আগত নোলাবলৈ আদেশ পৰিল। ডাঙৰ হবৰেপৰা ভালমানুহৰ আগত ওলাবলৈ মোৰ স্বভাৱতে লাজ লগা হৈ আহিছিল। গোহাঞিদেৱে সৰুৰেপৰা দেখা কাৰণে হে তেওঁৰ আগত ওলাও-নোলাওকৈ ওলাইছিলোঁ। এতিয়া, চাকুলী বাইৰ মুখে দেউতাৰ সেই হাক-বচন শুনিবৰপৰা গোহাঞিদেৱৰ নাম লবলৈকো মোৰ লাজ লগা হল। দেউতাৰ হাক-বচনত মোৰ বেজাৰ পাবৰ কাৰণ নাই, কিয়নো সেইটো সকলো ভাল মানুহৰ ঘৰৰ দস্তুৰ। কিন্তু, সেই অসময়ত ৰজাঘৰলৈ যোৱাৰ পিচদিনাই এই

হাক-বচন কিয় শুনিবলগীয়া হল? সেইটো মোৰ দুপতীয়া আশা-লতাৰ কুঁহিত বিখিনি-পোক লাগিলহি নেকি?

সেই ৰজাঘৰলৈ যোৱা দিনৰেপৰা এপখ পাৰ হল। এই পখটো আনলৈ শুক্ল; মোলৈ কৃষ্ণ। ইয়াৰ ভিতৰত গোহাঞিদেৱে মোৰ ছাঁটোও দেখিবলৈ পোৱা নাই। আৰু, মই কাৰো আগত তেওঁৰ নাম পৰ্য্যন্ত লোৱা নাই। গোহাঞিদেৱে মোক দেখা নাই, কিন্তু মই তেওঁক সদায় দেখোঁ। কিয়নো, তেওঁক চাবলৈ মোৰ বহুত সুবিধা আছে। মই বাৰ-জলঙাইদি জুমি চাব পাৰোঁ, চকোৱাৰ আঁৰত লুকাই চাব পাৰোঁ। গতিকে, সেই পখত গোহাঞিদেৱ মোতকৈও দুৰ্ভগীয়া, সেই পখটো গোহাঞিদেৱলৈ অমাবস্যা ৰাতি।

এইভাৱে আৰু এপখ গল। গোহাঞিদেৱৰ অন্তৰৰ বিষাদ ভাব মুখত বিৰিঙি ওলাবলৈ ধৰিলে। আনে কিমান মন কৰে কব নোৱাৰোঁ, মই সদায় তেওঁৰ মনটি মৰা যেন দেখোঁ। খোৱা-লোৱাতো তৃপ্তি নোপোৱা যেন দেখোঁ। দেখি দেখি দিনে দিনে মোৰ মন-প্ৰাণ হত হবলৈ ধৰিলে। খোৱা-লোৱাত মোৰ তৃপ্তি নলগা হল। আগতকৈও মোৰ মন বেজাৰ-অশান্তিত বেচি দকৈ বুৰিবলৈ ধৰিলে! নিলগত থাকোঁতে গোহাঞিদেৱৰ সুখ-শান্তিৰ নিমিত্তে যিবোৰ কথা আলচিছিলোঁ সি মনতে মাৰ যাবলগীয়া হল। আকাশৰ ফুল আকাশতে মৰহি যোৱা যেন লাগিল। আৰু, ময়েই তেওঁৰ নতুন বিষাদৰ কাৰণ হলোঁ, এই কথাই মোৰ অন্তৰ দহিবলৈ ধৰিলে। কিন্তু কি কৰিম! মোৰ মনৰ কথা মইহে বুজিছোঁ, আনক বুজাবলৈ মোৰ উপায় নাই; আৰু বুজিবলৈকো কোনো নাই। পৃথিবীত আন কোনোবাই মোৰ অন্তৰ ঢুকি পাইছে যদি তেওঁ গোহাঞিদেৱ, এয়ে মোৰ সৰল বিশ্বাস। এই বিশ্বাসতে মই এফেৰি শান্তি পাওঁ।

মোৰ যেই হওক, গোহাঞিদেৱৰ কাৰণে চিন্তাই মোৰ অন্তৰ পুৰি-ডেই ছাই কৰিবলৈ ধৰিলে। ঘাট-মাউৰা গোহাঞিদেৱক আমাৰ ঘৰত সুখে-সন্তোষে ৰাখিবলৈ আনি এতিয়া জানিবা তেওঁক মাথোন আন্তৰিক অশান্তি দিয়া হৈছে। আৰু, ময়ে তাৰ কাৰণ হলোঁ! গোহাঞিদেৱৰ শোক-বেজাৰৰ মূল-কাৰণ মই! এনে কথা মোৰ প্ৰাণে যে খন্তেকলৈকো নসহে। যাৰ সুখ-শান্তিৰ নিমিত্তে দিনে-ৰাতিয়ে মোৰ ভাবনাৰ অন্ত নাছিল, যাৰ শোক-বেজাৰ পাহৰাবলৈ মই নানা কথা জুকিয়াই লৈছিলোঁ, আজি সেইজনৰ দুখৰ কাৰণ হলোঁ মই! ইয়াতকৈ আৰু হিয়া-বিদৰোৱা কথা মোলৈ কি হব পাৰে! হঁয়, এতিয়াও গোহাঞিদেৱৰ বিষাদৰ আচল কাৰণ মইহে বুজিছোঁ। তেওঁ নো আজি কেইদিনমানৰপৰা মনটি কিয় আমোলাই ফুৰে, তাৰ গূঢ় অৰ্থ মইহে ঢুকি পাইছোঁ। আনে ভাবিছে, গোহাঞিদেৱে তেওঁৰ মাউৰা অৱস্থাৰ কথা ভাবিহে বেজাৰ মনেৰে ফুৰে। তেওঁৰ অন্তৰ দুবুজা সকলে বুজিছে, তেওঁ স্বৰ্গীয় দেউতাকলৈ মনত কৰিহে আমন-জিমনকৈ ফুৰে। এদিন দেউতাতে তাৰ প্ৰমাণ পালোঁ। গোহাঞিদেৱক মন মাৰি থাকিবৰ দেখি, এদিন দেউতাই তেওঁক কাষলৈ মাতি আনি এইদৰে বুজনি দিছিল, "দেউটি! কিয়নো বেজাৰ কৰি থাকাঁ? মৰা মৰি গল, এতিয়া সেইসকলে জীয়ালৈ পিঠিহে দিছে গৈ। এতিয়া তেওঁ দেৱতা, মনুষ্যৰ মৰম-ধৰম তেওঁত নাই। এই মৰতত যাৰপৰাই পিতৃৰ মৰম-চেনেহ পোৱা যায়, তেৱেঁই পিতৃতুল্য। সংসাৰত তৰিবলৈ পিতৃৰ সহায় যি লাগিব, তাৰ অভাৱ তোমাৰ নাই। মই জীয়াই থকা কেইটা দিনত তুমি তেনে অভাৱত পৰিব নালাগিব।" ইয়াকে কৈ দেউতা নিৰৱ হল, গোহাঞিদেৱ নিটাল মাৰিয়েই ৰল। দেউতা নিৰৱ হৈছিল. গোহাঞিদেৱৰপৰা কিবা উত্তৰ পাবলৈ বুলি, কিন্তু গোহাঞিদেৱে ফুটাই এটি কথাও নকলে। কিন্তু, হঁয়, দেউতাই যি বুজনি দিলে সি গোহাঞিদেৱৰ মৰ্ম্ম-বেদনা ঢুকি নাপালেগৈ। দেউতাই যি ভাবি সেই কেই-আষাৰ জ্ঞান দিলে, সেই ভাৱত গোহাঞিদেৱ আচলতে নাই। তেওঁ যি ভাৱত, সেই ভাব মইহে বুজিছোঁ। মইহে তেওঁৰ মনৰ আচল ভাব বুজি উচিত বুজনি দিব পাৰিলোঁহেঁতেন। দেউতাই বুজাওঁতে মই বাৰ-জলঙাইদি জুমি চাই আছিলোঁ। চাই চাই আৰু শুনি শুনি মোৰ মনে উচ্ পিচাবলৈ ধৰিলে। মনত এনেহে লাগিছিল, যেন দেউতাৰ আধা-কোৱা হওঁতেই ইকালৰপৰা আচল

কাৰণটো মই কৈ দিম! যি হওক, দেউতাই বুজনি দিলে, গোহাঞিদেৱে শুনিলে। শুনিলে আৰু শুনিলে; তেওঁ একো এটি উত্তৰ নিদি দেউতাৰ কাষৰপৰা ভক্তিভাৱে আঁতৰি তেওঁৰ কোঠাত সোমালগৈ।

এই ভাৱেই আপদীয়া দিন আৰু কেইবাটাও পাৰ হল। গোহাঞিদেৱৰ মনৰ বিকাৰ গুচাবলৈ মই একো এটা উপায় কৰিব নোৱাৰিলোঁ! গোহাঞিদেৱে ভাবিছিল চাগৈ, মই একেবাৰে তেওঁলৈ পাহৰিলোঁ বুলি। তেওঁ ভাবি লৈছিল জানো, মই আপোন-মনে মহা সুখে আছোঁ, তেওঁৰ ভাবনা ভাবিবলৈ মোৰ দৰ্কাৰ কি? তেওঁ ভাবিছিল চাগৈ, তেওঁৰ অন্তৰৰ বেদনা বুজোঁতা জগতত আৰু কেও নাই। এনে নিঠুৰ ধাৰণাত চাগৈ গোহাঞিদেৱৰ শোক দিনে বাঢ়িছিল। কিন্তু, মোলৈ তেওঁৰ তেনে ভাব নিতান্ত অসহনীয়। মোক তেনে ভাবি যদি তেওঁৰ বেজাৰ বাঢ়িছিল, তেন্তে মোতকৈ অভাগিনী আৰু জগতত নাই। ময়ে তেওঁৰ বেজাৰৰ ঘাই কাৰণ, ময়ে তেওঁৰ সেই বেজাৰ বঢ়াওঁতা, ইয়াতকৈ আৰু ডাঙৰ সন্তাপৰ কথা মোলৈ কি হব পাৰে! যি হওক, কি উপায়ে নো গোহাঞিদেৱৰ মনৰপৰা এই ভুল ধাৰণা গুচাব পাৰি, তাৰ চিন্তাত ধৰিলোঁ। ভাবি ভাবি একো উপায়-বুদ্ধি নাপাওঁ। কত পাঙোঁ, কত ভাঙোঁ, একো এটা স্থিৰ কৰিব নোৱাৰোঁ। মোৰ উদ্দেশ্য হৈছে যে, মই গোহাঞিদেৱলৈ পাহৰা নাই বুলি কেনেকৈ তেওঁক জানিবলৈ দিয়া হয়। তেওঁ কেনেকৈ বুজিব পাৰে যে, মই সদায় তেওঁৰ ভাবনাতে আছোঁ। কি উপায়ে তেওঁক গম্ পোৱাওঁ যে, মই তেওঁক মোৰ প্ৰাণতকৈ ভাল পাওঁ। দুপৰীয়া জীৱনে সদায় এই চিন্তাত বহোঁ। দেউতা আৰু গোহাঞিদেৱ ৰজাঘৰলৈ ওলাই গলেই, ইফালে মোৰ এই চিন্তা। চিন্তোঁ হয়, কিন্তু এদিনো তাৰ অন্ত নাপাওঁ। এইদৰেই কেইবা দিনো গল। এদিন দুপৰীয়া এই চিন্তাত ভাগৰি ফুলনি-বাৰীত সোমালোঁগৈ। দেখিলোঁ, মোৰ গোলাপ কেইজুপি ফুলি জকমকাই আছে। তাৰে ভালকৈ ফুলা এপাহি আৰু ঢোপাকলি এটি তুলি ললোঁ। কি ভাবি কব নোৱাৰোঁ, কোনোবা এপাকে গোহাঞিদেৱৰ শোৱা-কোঠাত সোমালোঁহি। সোমাই ইফালে-সিফালে চালোঁ, কোনো নাই। লাহেকৈ কলিটি আৰু ফুলপাহি মোৰ পাতি গোহাঞিদেৱৰ গাৰুটিৰ ওপৰতে সজাই থৈ লৰালৰিকৈ ওলাই আহিলোঁ। গুপুতে এই কামকেৰি কৰি আহি, মোৰ মনত কিবা এটা অসাধ্য সাধিলোঁ যেন লাগিল। কিন্তু, এই কামৰ ফলাফল ভাবি, মন আকৌ অস্থিৰ হবলৈ ধৰিলে। গোহাঞিদেৱে ভাল পোৱা এটি কাম সাধি আহিছোঁ, এনে ভাবে আনন্দত মোৰ মন ফুলাই তুলিছিল। কিন্তু আকৌ চালোঁ, জানোবা তেওঁ আহি ইয়াৰ আচল তত্ত্ব নোপোৱাকৈ এই কথা লৈ জনজনাই দিয়েহি! তেতিয়া ভিতৰে-বাহিৰে হুলস্থূল লাগি উঠিব। দেউতাই পোনেই মোক হে ভাবিব। নাভাবিবলৈ, মোত্ বাজে এনে কৰিবলৈ আমাৰ ঘৰত আৰু আছে কোন? এই আশঙ্কাত মন আকৌ জঁয় পৰি আহিল। এইদৰেই এবাৰ এটা ভাবে মন ফুলাই তোলে, আকৌ আন এটাই মুদাই নিয়ে। এনে উগুল-থুগুল ভাবে মনৰ ভিতৰত উৎপাত লগাই থাকোঁতেই দেখিলোঁ, গোহাঞিদেৱ আহি পদূলিমূৰ পালেহিয়েই! তেওঁ এতিয়াই ভিতৰ সোমাবহি! দেখি নো বুলিব কি? এই উতলা ভাবত মই তৰণি নোপোৱা হৈ উঠিলোঁ। সেই মুহূৰ্ত্তটো মোলৈ বৰ সাংঘাতিক যেন লাগিল! গোহাঞিদেৱ সোমালহি। ওলাই অহালৈ আৰু মোৰ বাট চাবৰ শক্তি নহল!

চতুৰ্থ অধ্যা

চিঠি-পত্ৰ

কেইদিনমানৰপৰা দেউতাৰ মনটিত ৰং। পুৱা-গধূলি জিৰণিৰ সময়ত তেওঁৰ মনটি ফুলি থকা যেন দেখোঁ; আৰু, মই মন কৰিছোঁ, মানুহৰ লগত কথাবাৰ্ত্তা হওঁতে, অলপ মন ভাল লগা কথা ওলালেই দেউতাৰ মুখত হাঁহি বিৰিঙিবলৈ ধৰে। ইয়াৰ আচল অৰ্থ কি তাক হে বুজিব পৰা নাই।

ৰজাঘৰৰপৰা মানুহ অহাটোও কেইদিনমানৰপৰা ঘন

হৈছে। সেই দিনা দেউতাক অসময়ত ৰজাই মতাই নিয়াৰ পাচৰপৰা ৰজাঘৰীয়া মানুহ কেইবাযোৰাও লালিকৈ আহিছিল। তাৰ পাচতো নিতৌ আহিবই লাগিছে। আহেমানে যেন দেউতাই ভাল পায়। মানুহ উঠি যাবৰ সময়ত দেউতাই এনে ভাৱে বিদায় দিয়ে, যেন সিবিলাক আকৌ আহেগৈ। মোৰ হলে, কি এটা কথা, ৰজাঘৰৰ মানুহ বুলিলে দেখিবৰ মন নাযায়, আমনি কৰিবলৈ অহা যেন হে লাগে। দেউতাই ভিতৰলৈ তামোল খুজি পঠিয়ালে মনে-মনে মোৰ বৰ খং উঠে। নোৱাৰাত হে তামোল কাটি দি পঠিয়াওঁ। এই মানুহবিলাক আহে কিয় আৰু কেইদিনামানৰপৰা অহা ঘন হৈছে কিয়, মই বুজিব পৰা নাই।

* * * *

দেউতাৰ মনত ৰং লগাৰ আৰু এটি কাৰণ আছে। অৰ্থাৎ, কেইদিনমানৰপৰা গোহাঞিদেৱৰ মনটি মুকলি। আগৰ দৰে তেওঁ আমন-জিমনকৈ নাথাকে। কাম-কাজ, কথা-বাৰ্ত্তা সকলোতে তেওঁৰ সন্তোষ আৰু উৎসাহ লগা যেন দেখা যায়। দেউতাই ভাবিছে যে, তেওঁৰ সেই দিনাৰ সাৰুৱা বুজনিয়ে এই ফেৰা গুণ ধৰাইছে। এই বিশ্বাসতে তেওঁ এতিয়া গোহাঞিদেৱলৈকো বৰ সন্তোষেৰে চায়। অপুত্ৰক দেউতাৰ গোহাঞিদেৱেই যেন একেটি পুত্ৰ, তেওঁৰ ভাবত এনে বুজা যায়। আৰু, দেউতাৰ তেনে ভাব দেখি মোৰ বুকুত জুৰ্ লাগি আহে। এনে ভাব দেউতাৰ মনত যিমান ডাঠ হয়, সিমানেই মই ৰং পাওঁ। সি যি হওক, কিন্তু দেউতাই গোহাঞিদেৱৰ মন মুকলি হোৱাৰ আচল অৰ্থ এতিয়াও ঢুকি পোৱাগৈ নাই। দেউতাৰ সাৰুৱা বুজনিয়ে গোহাঞিদেৱক জ্ঞান দিলে হয়, কিন্তু এই অভাগিনীয়ে নাজানি কৰা এফেৰি কামে হে তাৰ আচল গুটি ধৰালে।

সেই দিনাৰপৰা মই দিনৌ এযুৰি ফুল গোহাঞিদেৱৰ গাৰুৰ ওপৰত সজাই থবলৈ ধৰিলোঁ। আৰু, পাচলৈ সি মোৰ দিনৌ কৰিবলগীয়া এটা কামৰ দৰে হৈ উঠিল। আগদিনা ফুলযুৰি সজাই থৈ আহোঁগৈ, পিচদিনা কৰণিত তুলি থোৱা পাই তাক উলিয়াই পেলাওঁগৈ। এই কামটিৰ বিষয়ে গোহাঞিদেৱৰ আৰু মোত বাজে আন কেৱে নাজানে। আৰু, এই কাৰ্য্যৰ মূলত কোন্, গোহাঞিদেৱেও সেইটি জানে বুলি ডাঠি কব নোৱাৰে। সেইদৰেই ভালেমান দিন পাৰ হৈ গ'ল। পিচে, সেই কামটিৰ কৰোঁতা কোন্, তাক জানিবৰ কাৰণে কেইদিনমানৰপৰা গোহাঞিদেৱৰ মনত উগুল-থুগুল লাগিল। সেই অৰ্থেই এদিন তেওঁ ফুল কেইপাহি কৰণিত তুলি থওঁতে, লগতে এডুখৰি তুলাপাতত "কোন্ ইটি মনচোৰ ?" এই কেইটি কথা লিখি থৈছিল। পিচে, পিচদিনা মই নতুন থৈ পুৰণি পেলাবলৈ যাওঁতে তুলাপাত ডুখৰিত লিখা কথাকিটি পঢ়ি চাই, আপোনা-আপুনি লাজে ভয়ে সুখে দুখে বিভোৰ হৈ পৰিলোঁ। কিছুমান পৰ এইভাৱে ঠৰ লাগি ৰৈ আছোঁ, এনেতে মাৰলঘৰেদি যাওঁতে কোনোবাই 'কোন্ সিটি' বুলি মাত লগাই গ'ল। মই সেই পোনেই মূছৰ্কছ যোৱাৰ দৰে হলোঁ। তাৰ অলপ পাচত, হাতৰ সাৰে ভৰিৰ সাৰে মই গোহাঞিদেৱৰ শোৱা-কোঠাৰপৰা ওলাই পোন্-চাতেই পিচচোতাল পালোঁগৈ। সেই দিনাৰ পালি সেইদৰেই অন্ত পৰিল। পিচদিনা ফুল থবলৈ সোমাই গৈ, ময়ো সেই তুলাপাত ডুখৰিৰ পিঠিত "চোৰ নহওঁ,—আপোনাৰ মই হে" এই বুলি লিখি ফুলযুৰিৰ তলত পাৰি থৈ আহিলোঁগৈ। ইয়াকে পাই গোহাঞিদেৱে বা আকৌ মনত কি ভাব লয়, সেইটি জানিবৰ নিমিত্তে মনত উগুল-থুগুল লাগিবলৈ ধৰিলে। সেইদিনা সন্ধিয়ালৈকে বাৰ-জলঙাৰপৰা চকু তুলিব নোৱাৰিলোঁ। গোহাঞিদেৱৰ ওলাওতে সোমাওঁতে তেওঁৰ ভাব-গতিত সেই বিষয়ৰ কিবা উমান্ পাওঁ বুলি চাওঁতেই গ'ল। ৰাতিলৈ টোপনিৰো নাটনিত পৰিলোঁ। পাটীত পৰিবৰ কত পৰ হল, আনবিলাক সকলো শুই নিঃপালি দিলে, তেতিয়াও মোৰ চকুত টোপনি নাই। শেহ-ৰাতি মাথোন চিলমিলকৈ এঘুমটি টোপনি আহিছিল। পিচদিনা কেতিয়া পুৱাটো পাৰ হয়, কেতিয়া দুপৰ হয়, কেতিয়া দেউতা আৰু গোহাঞিদেৱ ওলাই যায়, তালৈ বাট চাই চাই আমনি লাগিছিল। পিচে, সিবিলাক গৈ বাটচ'ৰা পাৰ নৌ হওঁতেই মই গোহাঞিদেৱৰ শোৱা-কোঠা পালোঁগৈ। পাই, দেখোঁ যে কৰণিত ফুল দুটি এখন তুলাপাতত যতনেৰে তুলি থোৱা আছে। মই লৰালৰিকৈ

তুলাপাতখন টান মাৰি আনি পঢ়ি চাওঁ যে, এই কেফাঁকি কথা লিখা আছে, "যেয়ে কি নোহোৱাঁ 'মই', ভা-ভা-ভাবত ভানু-উদয়।" পঢ়ি যাওঁতেই মোৰ হাঁহি উঠিল, বোলোঁ, গোহাঞিদেৱ খোনা হ'ল নে কি? ভা-ভা-ভাখন কিহৰ! কিন্তু, পিচমুহূৰ্ত্ততে মই লাজত তলমূৰ কৰিলোঁ; বুজিলোঁ, মোক তেওঁ ধৰা পেলাইছে। মই সেই সময়ত ভিতৰি কি যে হৈছিলোঁ, কবলৈ কথা বিচাৰি নাপাওঁ।

এইদৰেই গ'ল দিনচাৰেক। গোহাঞিদেৱেও কিবা এফাঁকি লিখি থৈ যায়, ময়ো কিবা এটি উত্তৰ লিখি থৈ আহোঁগৈ। এনে ব্যৱস্থাই গোহাঞিদেৱক কিমান সুখ দিছিল কব নোৱাৰোঁ, মই হলে আনন্দত উতলি পৰিছিলোঁ, মোৰ আগৰ চিন্তা-ভাবনা সকলো পাহৰি গৈছিলোঁ। এনে ব্যৱস্থা যেন চিৰকাল চলিব, এনে সুখৰ যেন অন্ত নপৰিব, এনে ভাবিছিলোঁ! পিচে, এদিন এই সুখ উপচি পৰা যেন পালোঁ। আবেলি এদিন মই মূৰ মেলাই আছোঁ, এনেতে চাকুলী বাইৰ পুতেক আঘনাই চুচুক-চামাককৈ মোৰ ওচৰ চাপি মোৰ কোঁচতে বিযোগ-নিদিয়া লেফাফা এটা পেলাই দি ভিৰাই লৰ ধৰিলে। মই 'কি' বুলি সুধিবলৈকে নাপালোঁ। লৰালৰিকৈ লেফাফাটো মেলি চাওঁ দেখোন ভিতৰত এখন চিঠি। আখৰ গোহাঞিদেৱৰ। কথা এই কেই আষাৰ: "ভানু! তোমাক নো মই কি সম্বোধন ধৰিব পাওঁ, ভাবি-চিন্তি পাইছিলোঁ, কাৰ্য্যত দেখাবলৈ সাহ নহল। আৰু, কপালত নাথাকিলে সি কাৰ্য্যত কেনেকৈ ফলিয়াব! সম্প্ৰতি সৰহ কবলৈ মোৰ চল নাই; কিন্তু মোৰ এই শোকে-চেপা হিয়াত যে তোমাৰ মোহিনী মূৰ্ত্তি কেতিয়াবাৰেপৰা থাপনা কৰা হৈছে, সেই সঁচা কথা কবলৈ সঙ্কোচ্ নকৰোঁ। মন পালে, মনোভাব আৰু প্ৰকাশিব পাৰি। কিন্তু, ইয়াতে কিবাজানি বহুত দোষ কৰিছোঁ! ভানু ক্ষমা কৰিবাঁ।" চিঠিখনি ঘূৰাই ঘূৰাই তিনিবাৰ পঢ়িলোঁ। আকৌ পঢ়িলোঁ। পঢ়ি হেঁপাহ নুগুচিল। আকৌ পঢ়িম বুলি বিহাৰ আঁচলত বান্ধি ললোঁ।

পঞ্চম অধ্যায়

বিহ-বিয়া

মই বৰকৈ মন কৰা নাই, দিনচাৰেকৰপৰা আমাৰ ঘৰত বিয়াৰ মেল। কাৰ বিয়া কব নোৱাৰোঁ, কিন্তু চাৰিওফালে পাণ-তামোল, গুৰ-গাখীৰ লগোৱাৰ ধুম পৰিছে। গায়ন, ধুলীয়া, নামতী মতোৱাৰ দিহা দিয়া চলিছে। বিয়ালৈ মানুহ মতাৰ ব্যৱস্থা হৈছে। ঘৰ-দুৱাৰ সজাই ৰখা দিয়াৰ যো-জা চলিছে। এই নিয়মে কেইওপিনে ধুমধাম লাগি গৈছে। ঘৰৰ লিগিৰা-লিগিৰী সকলো বিয়া-বলিয়া। বিয়াৰ কাৰবাৰত ঘূৰি-পকি ফুৰোঁতে দেউতাৰ চূৰ্ত্তি-শান্তি নাইকিয়া হৈছে। তলে তলে ইমানলৈকে কেতিয়া আগ বাঢ়িল মই কবই নোৱাৰোঁ; আৰু আধা-গোপনে কাৰবাৰ চলোৱাৰ নো উদ্দেশ্য কি তাকো নুবুজিলোঁ।

সি যি হওক, এতিয়া বিয়া কাৰ? এবাৰ শুনিলোঁ, ৰজাৰ জীয়েক তৰা আইদেউৰ লগত চাৰু গোহাঞিদেৱৰ বিয়া। কথাটো শুনি পোনেই হতাশ হলোঁ। কিন্তু, আকৌ ভাবি চালোঁ, যাৰে সৈতে যাৰ বিধাতাই যোৰা পাতিছে তাক কোনে খণ্ডাব? ভাগ্যৱতী তৰা আইদেউৰে সৈতে ভাগ্যৱন্ত চাৰু গোহাঞিদেৱৰ যোৰা মিলিছে, তাত মোৰ বেজাৰ কিহৰ? মই অভাগিনীয়ে গোহাঞিদেৱক ভাল পাওঁ, সেই বুলি তেওঁৰ ভাগ্যখনো মই কাঢ়ি লব পাৰোঁ নে? আৰু, পাৰিলেও লম কিয়? তেনেহলে যে মোৰ ভালপোৱা স্বাৰ্থপৰ হব। মই তো মোৰ সুখৰ নিমিত্তে গোহাঞিদেৱক ভাল পোৱা নাই। তেওঁৰ সুখত, তেওঁৰ সৌভাগ্যত মোৰ অপাৰ সুখ, অসীম সৌভাগ্য। এতেকে, এই কথাত মই কেতিয়াও বেয়া পাব নালাগে। তদুপৰি, তৰা আইদেউ মোৰ প্ৰাণৰ সখী। তেওঁ সুখী হলেও মই সেই সুখৰ ভাগ পোৱাৰ নিচিনা। তৰা আইদেউ গোহাঞিদেৱৰ হৃদয়ৰ গৰাকিণী হব। কিন্তু, মইতো মোৰ গোহাঞিদেৱৰ চৰণৰ গৰাকিণী হব পাৰিম। এই কেৰি অধিকাৰৰপৰা মোক কেৱে বঞ্চিত কৰিব নোৱাৰে। এক পুৰুষৰ চৰণ সহস্ৰ গোপিনীয়ে পূজাৰ বিধি আছে। ভগৱন্ত শ্ৰীকৃষ্ণদেৱে তাৰ জ্বলন্ত পটন্তৰ থৈ গৈছে। ইয়াকে ভাবি-চিন্তি

নিশ্চিন্ত হলোঁ। আনৰ লগত বিয়া-ঘৰীয়া হবলৈ মোৰো মন গ'ল।

কিন্তু, যি ভাবিছিলোঁ সি নহয়। মই তাতোকৈ অভাগিনী। মোক চিৰ-দুখুনী কৰিবলৈ বিধাতাৰ ইচ্ছা। মোক জীৱন্তে জীয়াতু কৰিবলৈ বিধিৰ ব্যৱস্থা! মোৰ ইহ-পৰকাল হানি কৰিবলৈ বিধিৰ বিড়ম্বনা।—বিয়া সিখন নহয়, ইখন হে! ৰজাৰ কোৱঁৰলৈ বোলে মোক বিয়া দিয়ে! কি আচৰিত! কেনে অভাবনীয় কথা! শুনি যাওঁতেই বজ্রপাত পৰি মই নমৰিলোঁ কিয়? মোক দেউতাই দ্বিচাৰিণী কৰিবলৈ ব্যৱস্থা পাতিছে! মই যে মোৰ মন-প্ৰাণ মোৰ ইষ্টগুৰু প্ৰাণৰ স্বামী গোহাঞিদেৱৰ চৰণত মনে মনে কেতিয়াবাই সঁপিলোঁ। এতিয়া যে আৰু মোৰ ওপৰত আনৰ অধিকাৰ নাই। কিন্তু হায়, দেউতাৰ বা দোষ কি? তেওঁ তো মোৰ অন্তৰৰ ভাব বুজা নাই। বুজিব কেনেকৈ? কাৰ্য্যত দেখাকৈ মোৰ মনোভাব মোৰ হৃদয়ৰ স্বামী প্ৰাণৰ ঈশ্বৰ গোহাঞিদেৱে জানিবলৈকো অলপ বাকী হে। তেন্তে নো কি উপায় হ'ব এতিয়া? এনে মহা বিপদৰপৰা কোন্ গোসাঁয়ে মোক উদ্ধাৰ কৰিব। এই মহা সঙ্কটত মই কাৰপৰা একেৰি ভৰসা পাম?—গোহাঞিদেৱলৈ লিখি সুধিম? দেহিঐ, কি সতে লিখিম, মোৰ কাপত তেনে নিঠুৰ কথা কোন্ মুখে ওলাব! এই অসহনীয় উগুল-থুগুল ভাবত তৰণি নাপাই এখুজি-দুখুজিকৈ উমানত গৈ থাকোতেই ফুলনিত ওলালোঁগৈ।

ফুলনিত মোৰ কিমানপৰ হল কব নোৱাৰোঁ। তাতে সন্ধিয়া লাগিল। গাৰ নোম নেদেখা হল। ঘৰৰ ভিতৰত এটি-দুটিকৈ চাকি জলিছে। লিগিৰা-লিগিৰীবিলাকে গৰু-গাই বান্ধি ভিতৰ সোমাইছে। জাৰত কঁপি কঁপি চাকুলী বুঢ়ী জুহালৰ ওচৰ চাপিছেগৈ। এনেতে, পদুলিমুৰৰ কদমৰ ডালৰপৰা ফেঁচা এজনীয়ে 'নি—ই—ওঁ' বুলি মাতিলে! শুনি মোৰ ভাল লাগিল। এই মাতত আনকালৰ নিঠুৰ ভাব নাই। শুনি গা শাঁত লাগি হে গল। ফেঁচাই আকৌ বুলিলে 'নি—ই—ওঁ'। মই কলোঁ, 'মোকে নিয়া'। এনেতে, পিচফালৰপৰা লৰি আহি কোনে অতি কাতৰ ভাৱে মাত লগালেহি, "কিয় নিব তোমাক ভানু, নিব লাগে যদি মোক নিয়ক।" উলটি চাই মই অবাক্! দুয়ো অলপমান পৰ ঠৰ লাগি ৰলোঁ। তাৰ পাচত,

গোহাঞিদেৱ।—ভানু!

মই।—প্ৰাণনাথ!

গোহাঞিদেৱ।—নকবাঁ সি কথা।

মই।—হেজাৰবাৰ কম। লাখবাৰ কম।

গোহাঞিদেৱ।—ভানু! এতিয়া আৰু তোমাৰ সেই ভাব সলাবৰ দিন পৰিলহি!

মই।—সঁচা, প্ৰাণেশ্বৰ! মোৰ এই দেহা সলাবৰ সময় পৰিছেহি।

গোহাঞিদেৱ।—কিয় কোৱাঁ তেনে কথা, ভানু!

মই —তেন্তে নো কি সলাবলৈ কয়, প্ৰাণনাথ?

গোহাঞিদেৱ।—উতলা নহবাঁ ভানু! এতিয়া অস্থিৰ হবৰ সময় নহয়। নিজৰ ভাগ্যৰ শৰণ লবলৈ হে এতিয়া সাজু হব লাগে।

মই।--নহওঁ উতলা, প্ৰাণনাথ! মই আজি আগতকৈও স্থিৰ। নিজৰ ভাগ্যৰ শৰণ লবলৈ মই আজি সাজু হৈছোঁ।

গোহাঞিদেৱ।— তেন্তে মোৰ প্ৰতি তোমাৰ এই সম্বোধন কিয়? এতিয়াৰেপৰা তুমি মোক ল'ৰাকালৰ লগৰীয়া বুলি মাথোন ভাবিবাঁ। বিধাতাই তোমাক যাৰে সৈতে যোৰা পাতিছে, তুমি সেই ভাগ্যধৰৰ চৰণ চিন্তিবলৈ ধৰাঁ। আগন্তুক বিয়াই তোমাক যুৱৰাণী কৰিব, তাৰ পাচত তুমি পটেশ্বৰী হবাঁ। (কথা শুনি থাকোঁতেই মই মূৰ্চ্ছা গলোঁ)

* * * * *

মই।—(অলপ হুঁচ্ পাই) কিয় এনে নিৰ্দয় হৈছে, প্ৰাণনাথ! আপোনাৰ মুখে এনে নিকৰুণ কথা শুনিবলৈকে মই এতিয়াও জীয়াই আছোঁ!

বতাহৰ উভলি পৰা কলপুলিৰ দৰে মই গোহাঞিদেৱৰ চৰণত উবুৰি খাই পৰি বিভ্ৰম হলোঁ। ক'ত আছোঁ, কি কৰিছোঁ, খন্তেকলৈ মই পাহৰি গলোঁ। গোহাঞিদেৱৰ বিচুৰ্ত্তি হল। তেওঁ অতি যতনেৰে তেওঁৰ চুৰিয়াৰ খোৰৰ আগেৰে মোৰ মুখ মচি দি, বিচেষ্টা হৈ কবলৈ ধৰিলে, "ভানু! ভানু! কি কৰাঁ! মানুহে দেখিলে কি বুলিব!"

মই। -প্ৰাণনাথ!

গোহাঞিদেৱ।—ভানু। মই মহা বিপদীয়া। এনে সময়ত এনে অৱস্থাত মোক তোমাৰে সৈতে ইয়াত অকলৈ দেখিলে মানুহে বুলিব কি? ইমান বিপদেও আটিছে।

মই।—প্ৰাণেশ্বৰ। আপোনাৰ বিপদ বঢ়োৱাৰ আগেয়ে মোৰ প্ৰাণ দেহাৰপৰা বাজ হওক।

গোহাঞিদেৱ।—নকৰঁ৷ তেনে কথা ভানু! মোৰ বিপদলৈ মই ভবা নাই। মই আজিয়েই এই দেহা এৰিব পাৰিলে ভাল পাওঁ। কিন্তু, ভানু, মোৰপৰা তোমাৰ কেনেবাকৈ বিপদ ঘটে বুলি হে মোৰ ভাবনা। মই বুজিছোঁ, মই ইযাত থাকোঁমানে তোমাৰ মন স্থিৰ নহব। আগন্তুক শুভকাৰ্য্যত মই বিঘিনি ঘটোঁৱাটো হে হব। সেই কাৰণে, কাইলৈ পুৱাৰেপৰা মোক আৰু ইয়াত কেৱে নেদেখে। এই শেষ দেখা দি, তোমাৰ ওচৰত বিদায় লবলৈ হে আহিছিলোঁ।

গোহাঞিদেৱৰ মুখত কি এটা ভয়লগা ভাঁবৰ চিন্ বিৰিঙ্গি উঠিল। তেওঁ কিবা উদ্দেশ্যত দৃঢ়প্ৰতিজ্ঞ যেন দেখিলোঁ। মোৰ মুখলৈ এবাৰ কাতৰভাৱে চাই, তেওঁ উভতি গুচি যাবলৈ ঘূৰিল। মই পিচফালৰপৰা তেওঁৰ ভৰি দুটিত গবা মাৰি ধৰি আকৌ দীঘল দি পৰিলোঁ। বেহুঁচ্ হলোঁ।

* * * *

গোহাঞিদেৱ।—কি বিপদ! ভানু, তুমি নুবুজঁা কিয়? তোমাৰ এনে উতলা ভাৱে কিবা ওলটাব পাৰিব নে? অবুজ নহবঁ৷। মোৰ কথা শুনা। শুভকাৰ্য্যত বিঘিনি নজন্মাবাঁ। উঠা, ঘৰলৈ যোৱাঁ। তুমি মোৰ এই কথা শুনিলে মই বৰ ৰং পাম।

মই।—প্ৰাণনাথ! মই প্ৰাণ দিও আপোনাৰ কথা মানিবলৈ সাজু আছোঁ। কিন্তু, প্ৰাণেশ্বৰ! এই দুখুনী অভাগিনীৰো শেষ কথা এটি আপুনি ৰাখিব লাগে। আপুনি মোক আৰু দুটা দিন দিয়ক। কাইলৈ নগৈ, আৰু দুদিন পলমে যাওক।

গোহাঞিদেৱ অগত্যা মোৰ কথাত মান্তি হল। ভিতৰত চাকুলী বুঢ়ীযে মোক বিচৰা যেন গম্ পালোঁ। ধীৰে ধীৰে গোহাঞিদেৱ পদূলিমূৰলৈ ওলাল। মই পিচ-দুৱাৰেদি ভিতৰ সোমালোঁহি

ষষ্ঠ আধ্যা

ষোলবছৰীয়া লʼৰা

ফুলনিত মোৰ বহুপৰ হল হবলা। ইয়াৰ ভিতৰতে দেউতাই বোলে মোক দুবাৰ বিচাৰিছিল। আৰু, তৰা আইদেউৰ ওচৰৰপৰাও দুবাৰ মোৰ ওচৰলৈ কোনোবা আহিছিল বোলে, মোক নেপাই চাকুলী বাইৰ হাততে এখন চিঠি দি থৈ লগুৱাটো গুচি গল। ইফালে চাকুলী বুঢ়ীয়ে জনজনাই দিলে। চিঠিখন সখীৰ,—তৰা আইদেউৰ। তেওঁৰ হেনো মোৰ লগত এটা গুপুত কথা আছে। পাৰিলে কাইলৈ পুৱা তেওঁ এবাৰ মোক লগ পাব। মনতে শলাগি থলোঁ,—'লগ পাব'। তাৰ পাচত, লৰালৰিকৈ চাকুলী বাইক সুধিলোঁ, দেউতাই নো মোক কিয় বিচাৰিছিল। চাকুলীয়ে কলে, "বিচাৰিছিল কিয়, কাকো একো নকলে দেখোন। দেউতাৰ হাতত সোণৰ ফুল দুপাহমান দেখিছিলোঁ। তাকে দিবলৈ বিচাৰিছিল হবলা।" মই মনতে শলাগি থলোঁ,—'ওঁ সোণৰ ফুল পিন্ধিম!"

চাকুলী বাইক তাতে এৰি মই শোৱা-কোঠা সোমালোঁহি। আৰু, তাই মনটো আমোলাই নিজৰ কামত ধৰিলেগৈ। মই নিজম্বাল পাই, নানা কথা ভাবিবলৈ ধৰিলোঁ। ভাবিলোঁ, আজিক এৰি আৰু তিনদিন আছে। তাৰ পিচদিনা মোৰ নামে পতা বিহ-বিয়াৰ টেকেলি। গতিকে, মোৰ হাতত মুঠেই দুদিন আছে। আৰু, গোহাঞিদেৱে মোক দুদিনলৈ হে দিন দিছে। তাৰ পাচত আৰু তেওঁক ইয়াত কেৱে নেদেখে। কিন্তু, তেওঁ আগধৰি বাজ হব লাগিলে মোৰ আন কোনো উপায় নাথাকিব। আৰু, তেতিয়া হলে তেওঁক সকলোৱে দায় দিব। বিশেষ, তেনে হলে, ৰজায়ো তেওঁক অপৰাধী কৰিবৰ আশঙ্কা থাকে। গোহাঞিদেৱে মনৰ বেজাৰত বিপদলৈ পিঠি দিছে হয়, কিন্তু ৰজাই তেওঁক বিচৰাই ধৰাই আনি ইয়াৰ প্ৰতিশোধ লব। ৰাজকোৱঁৰৰ বিয়াত বিঘিনি জন্মোৱাটো সামান্য অপৰাধৰ কথা নহব। তেতিয়া হলে, এই দুখুনীৰ দুয়ো

কুল হেৰাব। গোহাঞিদেৱৰ প্ৰাণলৈকো আশঙ্কা, আৰু ময়ো জীৱন্তে অনাথিনী হম। এতেকে, বিয়াৰ বিঘিনি ঘটোৱাত কেতিয়াও গোহাঞিদেৱক কাৰণ হবলৈ নিদিওঁ। কিন্তু, কি উপায়ে এই অসাধ্য সাধন কৰোঁ! বিয়াৰ বিঘিনি সম্পূৰ্ণে ময়ে নহলে, আৰু অইন উপায় নেদেখোঁ। বিয়া মই ভঙ্গাটো নহলে, ইয়াৰ বিষময় ফল গোহাঞিদেৱ আৰু দেউতাৰ গাত ফলিয়াব। এতেকে, ভাবি পাইছোঁ, ঘৰৰপৰা মই বাজ হোৱাটোৱেই আটাইতকৈ ভাল উপায়।

এই কথা অতি গুপুত। কিন্তু, মোৰ যোৱাৰ উদ্দেশ্য ভালকৈ ভাঙ্গি কৈ নগলে, গোহাঞিদেৱে পাচতো গোলমাল লগাব পাৰে। তেওঁ যদি আগৰ কথামতে দুদিনৰ মূৰত, মই যোৱাৰ পাচতো যায়, তেতিয়া হলেও সকলোৱে ভাবিব যে, এইবোৰ দুইৰো কেতিয়াবাৰেপৰা আলচ। পিচে, কি উপায়ে তেওঁক এই কথা জনাওঁ? মুখেৰে কবলৈ গলেও, গোহাঞিদেৱ আগ হব। তেওঁ মোক কেতিয়াও যাবলৈ নিদিয়ে। এতেকে, চিঠিৰে জনোৱাটোৱেই সবাতকৈ ভাল উপায়। যাবৰ সময়ত বাৰ সৰকাই চিঠিখন তেওঁৰ শোৱাকোঠাত পেলাই থৈ যাম। ইয়াকে স্থিৰ কৰি লৰালৰিকৈ চিঠি লিখিবলৈ বহিলোঁ। অলপ সময়ৰ ভিতৰতে চিঠিত ভালেমান কথা লিখিলোঁ। চিঠি বৰ দীঘল হল। তথাপি দুবাৰ ঘূৰাই ঘূৰাই পঢ়িলোঁ। পঢ়ি, আঁচলৰ আগত বান্ধি থলোঁ।

ভাত-পানী খোৱা হল। দেউতাক মুহুদিৰ তামোল কাটি দিলোঁ। বৰ হেঁপাহেৰে আৰু দুখনি কাটি গুৰিয়াই দেউতাৰ তামোল খোৱা বটাত লাহেকৈ থলোঁগৈ। দেউতা শুইছিল গৈ। মোক বটাৰ কাষলৈ যোৱাৰ গম্ পাই তেওঁ মাত লগালে, "আই"! মই উত্তৰ দিলোঁ, "দেউতা"! সুধিলে, "কি কৰিছা আই!" মোক শোকে খুন্দা মাৰি ধৰিলে, মোৰ মাত নোলাল। দেউতাই আকৌ কলে, "আই! শুই থাকাগৈ"। মই গেন্‌গেনীয়াকৈ উত্তৰ দিলোঁ, "ভাল।"

দেউতাক দেখুৱাই তেতিয়াই পাটীত পৰিলোঁহি। কিন্তু মোৰ অন্তৰৰ পোৰণিত তৰণি নাই। দেউতালৈ চালেও মৰোঁ, বাহিৰৰ বিপদলৈ চালেও ডৰোঁ, কি কৰিম বিবুদ্ধি। চাটিফুটি কৰিলে দেউতাৰ টোপনি অহা পলম হব। সেই কাৰণে, টানিমানি নিটাল মাৰি ৰলোঁ। কিন্তু, মনে আকাশ-পাতাল জুৰি ভ্ৰমিবলৈ ধৰিলে। বলেৰে চকু মুদি বৈছোঁ, কিন্তু কাণ সজাগ বৈছে। এই ভাৱে অলপ পৰ আছোঁ, এনেতে চাকুলী বাইৰ নাক-বাজনী উঠিল। শুনি ভাল লাগিল। ভালেমান পৰ টলকা মাৰি ৰলোঁ। মাৰলঘৰত শোৱা লিগিৰাইতৰো টোপনিত নাক বজা শুনিলোঁ। আৰু ভাল লাগিল। কিন্তু, দেউতাৰ টোপনি অহা গম্ ধৰিব পৰা নাই। তেওঁ শুলে টোপনি যোৱাৰ গম্ ধৰিবলৈ টান। এখনমান তামোল খাবৰ পৰ আকৌ নিটাল মাৰি ৰলোঁ। তাৰ পাচত, এবাৰ মূৰ তুলি চাওঁ দেখোন দেউতাৰ টোপনি আহিল। মই লাহেকৈ উঠি হাতৰ সাৰে ভৰিৰ সাৰে জুহালৰ কোঠা পালোঁহি। তাৰপৰা ধীৰে ধীৰে মোৰ বুলনি কোঠাত সোমালোঁগৈ। দোমাই চাকিটো জ্বলালোঁ। তাৰ পাচত, শুবলৈ অহাৰ আগেয়ে যতনাই থোৱা কাপোৰৰ টোপোলাটো নমাই ললোঁ। আৰু, তাৰপৰা উলিয়াই লৈ এখন চুৰিয়া পিন্ধি কঁকালত এখন চেলেং মেৰিয়ালো। নিচেই তলত এটা বুকুচোলা পিন্ধি তাৰ ওপৰত এটা দীঘল চোলা পিন্ধিলোঁ! গাত এখন চেলেং ছটিয়াই ললোঁ। মূৰত এটা পাগুৰি মাৰিলোঁ। আৰু, আৰ্চীখনলৈ ভালকৈ চালোঁ, সাইলাখ যোলবছৰীয়া ল'ৰা এটাৰ দৰে হলোঁ।

বাহিৰ ওলাই চোতালত ভৰি দিছোঁহি, এনেতে গছৰ ডালত ফেঁচাই কু-ৰু-ৰু কৰি উৰুলি দিলে। মই মনতে শলাগিলোঁ "ভাল কথা, মোৰ বিয়া হৈছে উৰুলি দিয়া।" তাৰপৰা লাহে লাহে গৈ গোহাঞিদেৱৰ শোৱনীঘৰৰ কাষ চাপিলোঁগৈ। এবাৰ বাৰ-জলঙাইদি জুমি চালোঁ। দেখিলোঁ, চাকিটি ধিমিক-ধামাক্কৈ জ্বলি আছে। গোহাঞিদেৱে সাজ নসলোৱাকৈয়ে বিছনাত পৰি দীঘল দি আছে; টোপনি নে সাৰেৰে নিটাল মাৰি আছে, তত্ ধৰিব নোৱাৰিলোঁ। মোৰ হাতৰ মুঠিতে চিঠিখন, কিন্তু বাৰ সৰকাবলৈ সাহ যোৱা নাই। কি কৰিম, ইফালে ভিতৰত কোনোবা সাৰ পাই উঠে যেন লাগিছে। গোহাঞিদেৱে গম্ পালেও

সৰ্ব্বনাশ ঘটে! একো এটা স্থিৰ কৰিব নোৱাৰি উচপিচাই আছোঁ। এনেতে, কোনোবা লগুৱা এটাই টোপনিতে বলকি উঠিলে। সি 'কোন্ কোন্' বোলা যেন মোৰ কাণত বাজিলহি।—মই ঘামি উঠিলোঁ। মোৰ গাত তত্ নোহোৱা হল। ভাবিবৰ আৰু সময় নহল। কণামুনাকৈ চিঠিখন বাৰ সৰকাই দি, ভিৰাই লৰ ধৰিলোঁ। আঁতৰিবৰ সময়ত গোহাঞিদেৱক থিয় হোৱা যেন দেখি আহিলোঁ। মই উলটি চোৱা নাই, ভঁৰালঘৰৰ আঁৰ লৈ প্ৰাণকাতৰে লৰ ধৰিছোঁ। পিচলৈ মই মন কৰা নাই,—গাৰ চেলেংখনৰ এচঁাচল মাটিত চুঁচৰি শুকান গছপাতত লাগি জৰজৰাই গৈছে। মোৰ ভাব হল, লগুৱাটোৰে নে গোহাঞিদেৱেই মোক পিচে পিচে খেদি আহিছে। উলটি চোৱা নাই, প্ৰাণকাতৰে লৰিছোঁ। কিন্তু, কোন্ ফালে কলৈ গৈছোঁ কব নোৱাৰোঁ। তথাপি লৰিছোঁ, উলটি চোৱা নাই। পাচলৈ, উশাহ নোপোৱা হলোঁ। বুকুত বতাহে খুন্দা মাৰি ধৰিলে। আৰু এখোজমানো আগ বাঢ়িবলৈ শক্তি নোহোৱা হল। বহি পৰিলোঁ। বহুত আহিলোঁ যেন লাগিল। কিন্তু, অলপ পৰ উশাহ লৈ চাওঁ, দেখোন তেতিয়াও মই আমাৰ টোলৰ দাঁতিতে! জিৰাবৰ সময় নাই। আকৌ উঠিলোঁ। টানিমানি আকৌ লৰ ধৰিলোঁ। এইবাৰ দক্ষিণমুৱাকৈ পথাৰ ওলাবলৈ লৰিলোঁ। এইদৰে এছোৱা লৰ ধৰি, এছোৱা বেগ্ দি পথাৰৰ মাজ ওলালোঁগৈ। পথাৰখনৰ সিপাৰেই এখন গাওঁ যেন দেখিলোঁ। গাঁৱৰ মাজ সোমোৱাটো নিৰাপদ যেন নালাগিল। সেই কাৰণে, তাৰপৰা পছিমমুৱাকৈ বেগ্ দিলোঁ। এইদৰে ডুখনমান তামোল খোৱাৰ পৰ গৈ এটা চাপৰিত উঠিলোঁগৈ। চাপৰিটো বৰ দীঘল আৰু বহল। ডাঙৰ গছ নাই। মাজে-মাজে দুই-চাইটা বিৰিণাৰ জোপা। দুই দাঁতিয়ে মানুহৰ গাঁও-ভুঁই থকা যেন লাগিল। গতিকে, সমুখৰ পোনেই বেগাবেগিকৈ আগ বাঢ়িলোঁ। ক্ৰমাৎ যাবই লাগিছোঁ। চাপৰিটোৰ সোঁ-মাজমান পালোঁগৈ। এনেতে, অকস্মাৎ মেঘে গিৰ্ গিৰাই উঠিলে। আৰু, অলপ পাচতে ক'লা ডাৱৰে আকাশ ঢাকি পেলালে। লাহে লাহে তৰা এটিও নেদেখা হল। কেইওফালৰপৰা ঘোপ্মৰা আন্ধাৰে মোক গিলি ধৰাদি ধৰিলে। কেনিও বাট-পথ নেদেখা হলোঁ। তথাপি ৰোৱা নাই। গৈ আছোঁ। আৰু অলপ পাচতে ঢেৰেকনি-ধুমুহা আৰম্ভ হল। একো-একোবাৰ ঢেৰেকনিত কাণ টাল মাৰি যায়। স্বৰগ ভাগি মূৰত পৰা যেন লাগি যায়। কোনো কোনো বাৰ যুৰীয়াকৈ পাতাল-ফটা গাঁজনি মাৰে। মই সেইপোনেই মাটিতে চেপেটা লাগি পৰোঁ। আকৌ উঠোঁ, আকৌ যাওঁ। এইদৰে পৰি-ধৰি অলপ যাওঁতেই মৌচেপা বৰষুণ আহিল। খন্তেকতে তিতি জুৰুলি-জুপুৰি-হলোঁ। তথাপি গৈছোঁ। মাজে মাজে একোবাৰ একো নেদেখা হওঁ। একোবাৰ জপ্-জপাই বিৰিণাৰ জোপাত উঠোঁগৈ। একোবাৰ বিজুলীৰ পোহৰত বাট দেখা পাই এছোৱা লৰ ধৰোঁ। কিন্তু, বিজুলীয়ে উপকাৰৰ লগত অপকাৰো মাতিলে। ইমান পৰলৈকে মোৰ মানুহ-শত্ৰুলৈ মাথোন ভয় হৈছিল; এতিয়া বিজুলীৰ চমকনিয়ে চকুৰ আগত ভয়ঙ্কৰ ৰূপ দেখুৱাবলৈ ধৰিলে। মোক কেইওফালৰপৰা বন-শত্ৰুৱে বেৰি ধৰা যেন পালোঁ। একোবাৰ ছাঁ টোকে বাঘটো দেখিছোঁ। বিৰিণাৰ জোপা-টোকে কিবা এটা বহি থকাৰ দৰে দেখি যাওঁ। একোবাৰ ধৰিলেহি ধৰিলেহি যেন লাগি যায়; মই থিতাতে মাটিত চেপেটা লাগোঁ। এইদৰে আধামৰা হৈ যাওঁতে যাওঁতে চাপৰিটো এৰাই গলোঁ। আৰু, ঢেৰেকনি, ধুমুহা, বৰষুণে অলপ শাম কাটিবলৈ ধৰিলে। ইয়াৰ অলপ পাচতে বতৰ আকৌ মুকলি হল। আকাশত তৰাবিলাক আকৌ জিলিকি উঠিল। আন্ধাৰ ৰাতি বুলিও, বাট-পথ আৰু দাঁতি-কাষৰৰ উৱাদিহ ধৰিব পৰা হলোঁ। দেখিলোঁ, আগত এখন সৰু পথাৰ। আৰু অলপ গলেই পথাৰৰ মাজত এজুপি অকল-শৰীয়া গছ পায়গৈ। গছজুপি পাতে-চোতে গপ্গপীয়া। তলখন জিৰণিৰ থল যেন লাগিল। লৰালৰিকৈ গৈ গছৰ তলত থিয় হলোঁ। আৰু, এখন-এখনকৈ গাৰ তিতা কাপোৰকেখন চেপি, আকৌ আগৰ দৰে ভালকৈ পিন্ধি ললোঁ। এনেতে, লাহে লাহে পোহৰৰ আভাস পোৱা গল। পূব-ফাল ক্ৰমাৎ সেন্দুৰীয়া হৈ আহিল। ধীৰে ধীৰে আন্ধাৰৰ ক'লা বৰণে পোহৰৰ মুকলি বৰণ ধৰি আহিল। চাওঁতে চাওঁতে ৰাতিৰ আন্ধাৰ পুৱাৰ পোহৰত লয় পালে। মযো লাহেকৈ গছৰ তলত গুটি সৰি পৰাদি পৰি বহি পৰিলোঁ।

সপ্তম আধ্যা

অতিথিৰ থিতি

জীৱনত সেইদিনা মই ৰাতিপুউৱা দেখিলোঁ। দিনৰ পাচত সন্ধিয়া লগা বহুত দেখিছোঁ। পোহৰ কেনেকৈ আন্ধাৰত লুকায়গৈ, ভালেমান দিন মন কৰি আহিছোঁ। কিন্তু, ৰাতিৰ পাচত ৰাতিপুউৱা সেই দিনা হে মই প্ৰথম দেখিলোঁ। পোহৰৰ আগত আন্ধাৰ কেনেকৈ ক্ৰমাৎ শেঁতা পৰি লয় পায়, সেই দিনা হে মোৰ চকুত ভালকৈ পৰিল। তাৰ লগতে মোৰ মনত আৰু এটা কথা বৰকৈ লাগিল। সংসাৰৰ সুখ-দুখৰ এটা স্বাভাৱিক ৰূপ সেই দিনা মোৰ মনত বেচকৈ লাগিল। দিনৰ পাচত যেনেকৈ ৰাতি হয়, পোহৰ যি ভাৱে আন্ধাৰত মাৰ যায়, মানুহৰো সুখৰ পাচত দুখ হয়, শোকৰ পীড়নত সন্তোষ লয় পায়। ইয়াৰ আৰ্হি মানুহে নিতৌ দেখে। ময়ো দেখিছিলোঁ। আকৌ, ৰাতিৰ পাচত যি নিয়মে দিন আহে, আন্ধাৰ যি ভাৱে পোহৰত মাৰ যায়, মানুহৰো সেই দৰে দুখৰ পাচত সুখ হয়, শোকৰ পীড়ন সন্তোষৰ অনুভৱে শাঁত লগায়। ইয়াৰ আৰ্হি কিন্তু মানুহে সততে দেখা নাপায়। মোৰ নিচিনাকৈ কাচিত-কেতিয়াবা যি চকুৰে ৰাতিপুউৱা দেখিছে, সি হে এই আৰ্হিৰ ধাৰণা কৰিব পাৰিছে। সেই দিনা গছৰ তলত ততালিকে মোৰ মনত এনে এটা ভাব আহিল, দেহিঐ, সংসাৰত মোৰ দুখৰ নিশা এই নিচিনাকৈয়ে পুৱাব নে! এই ভাব উঠা মাত্ৰে নানা চিন্তাই মন অস্থিৰ কৰি তুলিলে, শোকৰ চেপাত দুধাৰি চকু-লো দুগালে বৈ পৰিল।

গছৰ তলত বহি পৰা মাত্ৰকে ভাগৰে হেঁচা মাৰি ধৰিলে। পৰ্ব্বত এটা মূৰত লোৱাৰ সমান গা গধুৰ লাগি পৰিল। তদুপৰি ভৰিৰ ৰমৰমণি, ভমভমনি, খোঁচ খাই ঘা লগা অঙ্গৰ চেক্-চেকনি ভকভকনিত জ্বৰে-বিষে একে-ঠাই হৈ উঠাৰ দৰে লাগিল। মই যেন সেই ফালেই পৰি যাম! পৰি যেন আৰু নুঠিম! একেবাৰে নুঠা হব পাৰিলেই যেন মই পৰিত্ৰাণ পাওঁ! এইভাৱে গা-মন অৱশ হৈ আহিল। এৰি যোৱা ভাবনাৰ সোঁত আকৌ বৈ আহিল। ভাবিলোঁ, আজি মই ক'ত? আজি মই কোন্? —আজি মই মুকলি পথাৰত, অকলশৰীয়া গছৰ তলত! আজি মই বাটৰ মাগনী! উপজিবৰেপৰা মই এনে মুকলি পথাৰৰ মাজত পৰা নাই। মানুহৰ ঘৰ নথকা ইমান বহল শূন্য ঠাই জনমত দেখা নাছিলোঁ। দশোদিশ চাই পঠিয়ালে এনে লাগে, যেন ঈশ্বৰে আজি মোক আকাশৰ তলত নিচেই অকলশৰীয়া কৰি এটা মায়া-চক্ৰৰ ঢাকনিৰে ঢাকি থৈছে। যিমানলৈকে দেখিছোঁ, কেইওপিনে যেন আকাশ মাটিত লাগিছে। এই বহল ৰাজ্যৰ ভিতৰত শুদা ৰাজপাট থাবলৈ যেন মোক ঈশ্বৰে অকলৈ ৰাজ-ৰাজেশ্বৰী পাতিছে। আলাসত উৰি-ফুৰা চৰাই-চিৰ্ কতিবোৰৰ আৱ-ভাৱ চাই সৃষ্টি-লীলা বুজিবলৈ যেন ইয়াত অকলে আসন পাইছোঁ। ওপৰত বনাই-ফুৰা চিলনীবোৰলৈ একেৰাহে চাই থাকিলে এনে লাগে, যেন সিহঁত উলাহত উটি ফুৰিছে। মাজে মাজে চিঁ-ই-ই সুৰেৰে কাতৰভাৱে মাতিলে আকৌ এনে লাগে, যেন সেই দুৰ্ভগীয়া চৰাইকিটি, জিৰণিৰ থলহীন হৈ, অমাই-কমাই ফুৰিছে! সিহঁতৰ তেনে ভাব-গতি দেখি খন্তেকলৈ মোৰ ভাগৰ-বেজাৰ পাতল লাগি যায়। কিয়নো, মই তেও জিৰাবলৈকে এফেৰি থল পাইছোঁ; সিহঁতৰ সিও নাই। এনেবোৰ ভাবে মোক সেই মুহূৰ্ত্তৰ নিমিত্তে ক'ৰবালৈ উৰুৱাই নিয়াদি নিলে। গছৰ গাত আঁউজি বহি থাকোঁতেই মোৰ চকু মুদ্ খাই আহিল।

চিল্‌মিল্‌কৈ টোপনি এঘুমটি আহিছিল; আকৌ চক্ খাই উঠিলোঁ। সাৰ পোৱা মাত্ৰে শোকে খুন্দি আনিলে। সেই টোপনিফেৰিতে মই দেউতা আৰু গোহাঞিদেৱক সপোনত দেখিছিলোঁ। দুয়ো মোক বিচাৰি বাউল হৈ ফুৰিছে। দেহিঐ, মনত পৰিলে হিয়া ফাটি যায় যেন লাগে। মোৰ দেউতাই নো মোক নেদেখাকৈ কেনেকৈ আছে! পুৱা মোক বিচাৰি নাপাই জানো শোকত বিহ্বল হৈ পৰিছে। কেইওপিনে মোক চিয়ঁৰি খলক লগাইছে জানো। আৰু, গোহাঞিদেৱ! মোৰ প্ৰাণেশ্বৰ গোহাঞি-দেৱো জানো বিহ্বল হৈ পৰিছে। কিন্তু, এটা কথা। গোহাঞিদেৱে যদি মোৰ চিঠিখন পাইছে, তেন্তে তেওঁ মনে মনে সকলো বুজি উঠিছে। কিন্তু, আৰু এটা কথা। জানোবা মোৰ চিঠি পায়েই, তেওঁ মোক বিচাৰি আহিছে।

তেনে হলে, কি জানিবা তেওঁ মোক ইয়াতে পায়হিয়েই! এই কথা মনত খেলোৱা মাত্ৰকে আকৌ গিৰিপ্ কৰে উঠিলোঁ। আৰু এছোৱা কোবাকুবিকৈ গৈ নিলগত এখন গাওঁ দেখিলোঁ। গাঁৱৰ ওচৰ চাপোঁমানে ভোকে-পিয়াহে মোক জুমুৰি দি ধৰে। পিচে, অতি কষ্টে চুঁচৰি যোৱাদি গৈ এঘৰৰ পদূলিমূৰত থিয় হলোঁগৈ। দেখিলোঁ, আদহীয়া তিৰোতা এজনীয়ে শাকনিত খুতুৰা শাক তুলিছে। মই তাইৰ ওচৰ চাপি কাতৰভাৱে কলোঁগৈ, "আই, মোৰ বৰ পিয়াহ লাগিছে। এটুপি পানী খুৱাব পাৰা নে?" মানুহজনীক জানিবা জোকাই কিল্ হে খালোঁ। তাই মোক পেঙলাই কৰি কলে, "বাৰু, মোৰ বোপাই, সুখুৰাম নো কিয়? আমাৰ কিবা বন কৰি আহিছে?" এই বুলি তাই আকৌ শাক তুলিবলৈ লাগিলে। মই তাৰপৰা বেজাৰ মনেৰে আঁতৰি গৈ আৰু এঘৰৰ এজনীক আতুৰভাৱে এটুপি পানী খুজিলোঁ। ইজনীয়ে মূঠেই চুই হে নিকিলালে! তাই মুখখন ভেঙুৰা-ভেঙুৰিকৈ দেখুৱাই কেইআষাৰমান অবাইচ্ মাত মাতি মোৰ ওচৰেদি ভোঁ-ভোঁৱাই গুচি গল। মোক শোকে-ভোকে-পিয়াহে খুন্দা মাৰি ধৰিলে। কান্দি পেলালোঁ। তাৰ পাচত, আৰু তিনি ঘৰৰ তিনটা পদূলি পাৰ হৈ গৈ, এঘৰত এগৰাকী বুঢ়ীক সুতলাহি পকাই থকা দেখি ভয়ে-ভয়ে তেওঁৰ ওচৰ চাপিলোঁগৈ। বুঢ়ীটিয়ে মোক দেখা মাত্ৰকে মৰম লগাই সুধিলে, "বোপাই, তই নো ক'ৰপৰা আহিছ?" বুঢ়ীৰ মুখে বোপাই মাত-আষাৰ পাই মোৰ মনত অলপ সাহ হল। মই লাহেকৈ কলোঁ, "বুঢ়ী আই, মই ভালেখিনি দূৰৈৰপৰা আহিছোঁ। আন কথা পিচেও কম, পিয়াহত মোৰ প্ৰাণ যায়! বুঢ়ী আই, মোক পানী এটুপি খুৱাব পাৰা নে?" বুঢ়ীয়ে আথে-বেথে কলে, "আঐ দেহি! পানী টোপা নো কি বস্তু, দিব পাৰিম তো। বহাঁ মোৰ সোণাই, ইয়াতে বহাঁ।" এই বুলি মোক ডুখৰিপীৰা এখন বহিবলৈ দি, বুঢ়ীয়ে ভিতৰৰপৰা পানী এলোটা আৰু বাটি এটা লৈ আহিলগৈ। পানী এবাটি বাকি লৈ, বুঢ়ীয়ে মোক আকৌ সুধিলে, "বোপাই, তই পুৱাৰেপৰা একো খোৱা নাই হবলা?" মই কলোঁ, "আই, মই কালিৰেপৰা খোৱা নাই।" সেই কথা শুনি বুঢ়ীয়ে "এ, শুদা পেটত পানীয়ে বেয়া কৰিব" বুলি, আকৌ ভিতৰলৈ সোমাই গৈ, গুৰ অকণমানৰে সৈতে সান্দহগুৰি অলপমান আনি দিলেহি। মই অতি তৃপ্তিৰে জলপানটি খাই বুঢ়ীৰ কাষতে বহি কথা পাতিবলৈ ধৰিলোঁ।

অষ্টম অধ্যা
তোলনীয়া পো

এদিন দুপৰীয়া তিনিজন মোৱাঁমৰীয়া বৈষ্ণৱ আহি উপস্থিত। বুঢ়ীয়ে আথে-বেথে ঢৰা-পীৰা উলিয়াই পাৰি দিলে। তিনিও বহিল। আলহী সুধিবৰ নিমিত্তে বুঢ়ীও ওচৰতে এফলীয়া হৈ বহিল। ময়ো সিবিলাকৰ ভিতৰত হোৱা কথা-বাৰ্ত্তাৰ ভাগ লবলৈ বুলি বুঢ়ীৰ কাষতে বহিলোঁ। বুঢ়ীয়ে ভকতসকললৈ চাই "সকাম বা কি?" বুলি সোধাত, বৈষ্ণৱ কেইজনৰ এজনে চমুকৈ যি কলে, তাৰ সাৰমৰ্ম্ম এই:

ৰাজনগৰত বৰ বিপদ। কিছুমান দিন হল, কিবা ৰাজকাৰ্য্যত স্বৰ্গদেৱ ভটীয়াই গৈছিল। আৰু, গুৱাহাটী গৈ পাওঁতেই ৰজা নৰিয়াত পৰি তাতে স্বৰ্গী হল। ইফালে বৰ-কোঁৱৰ ৰাজপাটত উঠিল। ৰজা হৈ তেওঁ অম্বিকা দেৱী কুঁৱৰীক বিয়া কৰায়। তাৰ পাচত; ছমাহমান ৰজা হওঁতেই তেওঁৰ ছত্ৰভঙ্গ যোগ পৰাত, তেওঁ নিজৰ কুঁৱৰীক ৰাজপাটত পাটমাদৈ পাতি মুকলিমূৰীয়া হৈ বহিল। আৰু, তিৰোতাসকলৰ ৰজাই সকলো বিষয়তে কুঁৱৰীৰ হাতত ৰাজক্ষমতা এৰি দি নিজগলীয়া হবলৈ ধৰিলে। ইফালে কুঁৱৰীৰ এনেনীয়া ক্ষমতাই ৰাজ্যত অশান্তি বিয়পাবলৈ ধৰিলে। আন কি, ডাঙৰীয়া-বিষয়া সকলো পেটে পেটে বৰ অসন্তুষ্ট হৈ উঠিল।

* * *

আন সকলোতকৈ কুঁৱৰীৰ অত্যাচাৰ মোৱাঁমৰীয়া মহন্তসকললৈ অতিকৈ অসহনীয় হল। মহন্তসকলে গোসাঁনী

নামানে। ইফালে গোসাঁনী-পূজাত কুৰ্বৰীৰ বৰ আসক্তি। সেই কাৰণে, তেওঁ মহন্তসকলক পেটে-পেটে বেয়া পোৱা হল। আৰু, লাহে লাহে এই হিংসা কুৰ্বৰীৰ অন্তৰত বৰকৈ জ্বলি উঠিল ; তেওঁ মহন্তসকলক ভালকৈ এসেকা দিবলৈ মনে মনে আলচিবলৈ ধৰিলে। এই উদ্দেশ্যেই কুৰ্বৰীয়ে ৺দুৰ্গা-পূজা পাতি তালৈ মহন্তসকলক নিমন্ত্ৰণ দিলে। ৰাণীৰ আজ্ঞা পালি সিবিলাকে নিমন্ত্ৰণ পালিবলৈ আহিল। পিচে, পূজা ভগাৰ পাচত, কুৰ্বৰীৰ আদেশ মতে, মহন্ত-সকলক বলেৰে গোসাঁনীৰ প্ৰসাদ লোৱালে। আৰু, যিবিলাকে অলপ আপত্তি দেখুৱাইছিল, সিবিলাকক ধৰাই মাহ-প্ৰসাদ কটিয়াই, কপালত বলী-কটা ছাগলীৰ তেজৰ ফোঁট দিয়াই নগুৰ-শাস্তি কৰালে। এই কথাত মহন্ত-সকলে মৰ্ম্মান্তিক বেজাৰ পালে। আৰু, তেতিয়াৰেপৰা সিবিলাকে ৰাজক্ষমতাৰ বিৰুদ্ধে লৰিবলৈ তলে তলে সাজু হল।

অকল মোৱাঁমৰীয়া মহন্তই ইমান শকত কাম এটা সফল কৰি উঠা টান। সেই কাৰণে, সিবিলাকে তলে তলে সিবিলাকৰ দলত নতুনকৈ মানুহ লবলৈ ধৰিলে। চেমনীয়া ডেকা ল'ৰাবিলাকৰ কপালত মৃত্তিকাৰ ফোঁট দি মহন্তৰ সংখ্যা বঢ়াবলৈ ৰাজ্যত এদল মহন্ত তলে তলে ঘূৰিবলৈ ধৰিছে। তাৰে এযোৰা আহি বুঢ়ীৰ ঘৰত উপস্থিত। সিবিলাকে বহিয়েই বুঢ়ীক মোৰ কথা সুধিলে। বুঢ়ীয়ে মোক তেওঁৰ তোলনীয়া-পো বুলি চিনাকি দিলে। তাৰ পাচত, সিবিলাকে বুঢ়ীৰ সৈতে বহুত পৰ কথা-বাৰ্ত্তা পাতিলে। মই ওচৰতে বহি শুনি আছিলোঁ। মুঠৰ ওপৰত, সিবিলাকে মোক সিবিলাকৰ দলত সুমাই লবলৈ বিচাৰে ; বুঢ়ী তাত একোপধ্যে মান্তি নহয়। সদোশেহত, মই নিজে আগবাঢ়ি কবলৈ ধৰিলোঁ, "আই! এখেত-বিলাকে যি কথাৰ নিমিত্তে তোমাক খাটিছে, সি বৰ সজ কথা। তাত মান্তি হলে ধৰ্ম্ম হব। তিৰোতাসেকৰা ৰজাই কুৰ্বৰীক ৰাজপাট এৰি দি, ৰাজ্যত উৎপাত লগোৱাইছে। এই উৎপাতৰপৰা ৰাইজক উদ্ধাৰ কৰিবলৈ যি আগ বাঢ়িব তাৰ মহাপুণ্য হব। যি গৃহস্থই এটা মানুহ দিব তাৰ এটকা-মহন্তৰ ধৰ্ম্ম হব। এতেকে, আই, তুমিও সেই পুণ্য অৰ্জ্জন কৰা।" মহন্ত কেইজনে মোক ধন্য ধন্য কৰিবলৈ ধৰিলে। আৰু, মযো যে কুৰ্বৰীলৈ কিবা হিংসাৰ ভাবত কৈছিলোঁ, এনে নহয়। কিয়নো, তাত মোৰ অলপো আস্থা নাই। মই নিজে ইচ্ছা কৰি সেই কুৰ্বৰীক ৰাজপাট এৰি দি আহিছোঁ। সি যি হওক, বুঢ়ীয়ে অলপ পৰ টলকা মাৰি ৰৈ, মোক কলে, "বোপাই, একেবাৰে এৰি যাবি নে কি? যাব খুইছ যা, মই নো ধৰি ৰাখিব পাৰোঁ নে!" এই বুলি বুঢ়ীয়ে মনটো আমোলাই পেলালে। মই ততালিকে আকৌ কলোঁ, "নহয়, আই, একেবাৰে যাব লাগিলে এদিনলৈকো নাযাওঁ! মই দিনৌ এওঁবিলাকৰ দলত যোগ দিমগৈ, দিনৌ উলটি আহিম। কোনো চিন্তা নাই।" এই কথা শুনি বুঢ়ীয়ে ৰং মনেৰে মোক মোৱাঁমৰীয়া মহন্তৰ দলত যোগ দিবলৈ অনুমতি দিলে।

মোৱাঁমৰীয়া মহন্তৰ লগত কাম কৰি মোৰ মনত দিনক-দিনে উৎসাহ বাঢ়ি আহিল। ৰাইজৰ হৈ ৰাজ-ক্ষমতাৰ বিৰুদ্ধে উঠা মোৰ উদ্দেশ্য নহয়, কেনেকৈ ৰাজ-অত্যাচাৰ গুচাব পাৰি মই তাৰ আলচত হে ফুৰিবলৈ ধৰিলোঁ। এই ভাৱেই কিছুমান দিন গল। এদিন মহন্তৰ মন্ত্ৰণাত স্থিৰ হল যে, তেতিয়ালৈকে ইফালৰপৰা একো কৰিব নোৱাৰাটো বৰ লাজ আৰু বেজাৰৰ কথা হৈছে। এতেকে, দিনচাৰেকৰ ভিতৰতে ৰজাৰ শিঙৰীঘৰত জুই দি বিদ্ৰোহৰ চিন্ দেখুৱাব লাগে। মই দেখিলোঁ, বিদ্ৰোহৰ চিন্ দেখুৱাই ৰজাঘৰত ভয় লগোৱাটো ভাল কথা হৈছে। কিয়নো, ইয়াৰপৰা এক পক্ষে কুৰ্বৰীয়ে ভয় পাই শান্ত হব পাৰে ; আৰু আন পক্ষে ৰজাৰ নগৰত মই পলোৱাৰ বিষয়টো ই তল পেলাব। কিন্তু, সেই বুলি শিঙৰীঘৰত জুই দিয়াটো ভাল নহয়। তেনে কৰাৰপৰা ৰাজ্যৰ ক্ষতি হে হব মাথোন। সেই কাৰণে, মই মহন্তসকলক এই বুলি ঘূৰালোঁ যে, শিঙৰীঘৰত জুই দিয়াটো বিদ্ৰোহৰ চিন্ নহয়, সি বিদ্ৰোহৰ কাৰ্য্য হে হব। এতেকে, চলিত নিয়ম মতে ৰজাৰ চ'ৰাত ৰাতি গৈ বিদ্ৰোহী নিচান পুতি থৈ আহিবগৈ লাগে। এই কথাত মহন্তসকল বৰ সন্তোষেৰে মান্তি হল। ইয়াৰ পাচত, মই আৰু এটা কথা সিবিলাকৰ বিচাৰলৈ আগ বঢ়ালোঁ যে, মহন্তসকলে আত্মৰক্ষাৰ নিমিত্তে এটা

কোঁঠ মৰাৰ আৱশ্যক। আগধৰি এই কাম সমাধা নকৰাকৈ বিদ্ৰোহৰ কাম হাতত লোৱা উচিত নহব। এতিয়া বিদ্ৰোহৰ চিন্ মাথোন দেখুৱাই কোঁঠ মাৰিবলৈ যাব লাগে। সেই মতেই মহন্তসকলে নেঘেৰিটিঙৰ এটা কোঁঠ মাৰিবলৈকো স্থিৰ কৰিলে। ইয়াৰ পাচৰপৰা মহন্তসকলে মোৰ কথাত বৰকৈ প্ৰত্যয় মানিবলৈ ধৰিলে। আৰু, মাজে-মাজে সিবিলাকৰ হতুৱাই মোৰো কাৰ্য্য সিদ্ধি কৰাই লব পৰা হলোঁ। এই উপায়েৰেই মাজে-সময়ে জানিব পাৰিলোঁ যে, দেউতা আৰু গোহাঞিদেৱ ভালে আছে ; মোক বিচৰাটো সম্প্ৰতি তল পৰিছে।

নৱম আধ্যা

ঘৰ-জোঁৱাই

ৰাজহুৱা বৰসবাহ। তিনদিনমানৰপৰা গাঁৱত গাওঁবুঢ়াই পঁচা তুলি ফুৰিছে। যাৰ যি শক্তি, সিকিটো, আদমহীয়াটো, চৰতীয়াটো, চাউলকঠা আগ বঢ়াইছে। দুটা ডেকা ল'ৰাৰ কানত ভাৰপাচীৰ সাঙ্গীভাবে সৈতে গাওঁবুঢ়া বুঢ়ীৰ ঘৰতো ওলালহি। বুঢ়ীয়ে আথে-বেথে চৰতীয়া এটিৰে সৈতে চাউল একঠা আগবঢ়ালে। ডেকা এটিয়ে চাউল কঠা ভাৰপাচীত ভৰাই লৈ, চৰতীয়াটো গাওঁবুঢ়াক দিলে। তেওঁ লাহেকৈ পইচা কেইটা জনক্কৈ দীঘল জোলোঙাত ভৰাই থৈ বুঢ়ীক কলে, "নামঘৰত ৰভা দিবলৈ আৰু সবাহৰ যো-জা কৰিবলৈ গা-খাটনি লাগে নহয়। সকলোৱে হাতে-হাতে নধৰিলে ৰাইজৰ কাম কেনেকৈ হব। বুঢ়ীয়ে কন্দনামুৱা হৈ উত্তৰ দিলে, "এ বোপাই, মোৰ নো আছে কোন্! থকাহেঁতেন নো কব লাগিছে নে?"

গাওঁবুঢ়া।—কিয়, আজলীলৈ এটা চপাই লৈছ নহয়? চপনীয়াটোৱে নো কৰে কি?

বুঢ়ী।—এ, কিনো কবি বোপাই! নিচেই অজলা ল'ৰা ; সেইটো থিয় হৈ থকাটোৱেই (মোলৈ আঙুলিয়াই)।

গাওঁবুঢ়া।—এহে, এইটো গজলীয়া ডেকাটো দেখোন। ইয়াক কেইদিনমানৰপৰা মহন্ত দলৰ লগত ফুৰা দেখিছোঁ ই নো ৰভাখনতো লাগি দিবগৈ নোৱাৰিব নে? নাই, তোৰ আজলীলৈ চাপিল বুলিয়েই ইয়াকো অজলা কৰি লৈছ?

বুঢ়ী।—এ, নেদেখিছাঁ দেও, সি নো কাম কৰা মতাটো নে?

গাওঁবুঢ়া।—মতা নহয় যদি, তিৰোতা বুলি ক। তেহে বহি খাবলৈ পায়। (মোলৈ চাই) তই তেন্তে মতা নহয়, মাইকী হে?

আজলীয়ে শুনি খল্খল্কৈ হাঁহিবলৈ ধৰিলে। মোৰ কিন্তু ভাল নালাগিল। কিবা এটা আশঙ্কাৰ ভাবত মোৰ মুখ শুকাই গল। আৰু, মুখ-চুপতিয়ে কিবা বিপদ ঘটোৱাৰ আশঙ্কাত "বাৰু যাব লাগে" বুলি মই গাওঁবুঢ়াৰ মুখ মাৰি থবলৈ চালোঁ। কিন্তু, তেওঁ আকৌ টানমুখীয়াকৈ কলে, "যাব লাগে বুলিলে নহয়, আহিবই লাগে। মোৰ লগতে আহ। চাউলৰ ভাৰ লৈ ইহঁতৰ এটাকে হলেও অজৰাই দে।" পিচে বুঢ়ীয়ে কাবৌ-ভক্তি কৰি কবলৈ ধৰিলে, "ল'ৰাটিয়ে ৰাতিও একো খোৱা নাই। দুটামান কৰ্ক্ৰা-পঁইতা খুৱাই নামঘৰলৈকে পঠিয়াম ; এতিয়া এৰি যোৱাঁ দেও হে।" গাওঁবুঢ়া সিমানতে মান্তি হৈ মোক এৰি অইন এঘৰলৈ গল। বুঢ়ী ভিতৰ সোমাল। মই পিৰালিতে বহি গুণিবলৈ ধৰিলোঁ, আজিৰ যাত্ৰা কেনেকৈ পাৰ হওঁ।

পিচদিনা সবাহ বহিল। ৰভাৰ তলত মানে-মানে শাৰী পাতি মানুহ বহিছে। ময়ো এশাৰীত এমূৰেদি ঠাই ললোঁ। নাম-কীৰ্ত্তন হৈ গল। আৰু, সিমূৰৰপৰা বিলনীয়াই মাহ-প্ৰসাদ বিলাই আনিছে। আহি আহি মোৰ আগত থিয় দিলেহি। বিলনীয়াই প্ৰসাদৰ পাত পাচীৰপৰা তোলা দেখি, ময়ো যোৰহাত পাতিলোঁ। এনেতে, পিচৰপৰা কোনোবা এটাই মাতি উঠিল, "হেৰ, আগপাত খোৱা সেইটো কোন্ অ?" বিলনীয়ায়ো মোৰ মুখলৈ আচৰিত হৈ চাই কলে, "ইএ! এইটো দেখোন ভদৰী বুঢ়ীৰ ঘৰৰ চপনীয়াটো!" এই কথা শুনা মাত্ৰকে পিচৰ দুশাৰী মানুহ একেবাৰে গৰ্গৰাই উঠিল। কোনোৱে কৈছে "গঁতিয়াই দে," কোনোৱে কৈছে, "চুলিত ধৰি উলিয়াই দে,"

কোনোৱে কয়, “অঁ, কটা চপনীয়াৰ ইমান সাহ, আমাৰ শাৰী পূৰাই বহেহি!” এনেবোৰ গঞ্জনাত মই কেনিও মুখ কৰিব নোৱাৰা হলোঁ। এনেতে, “কিনো চাই থাকিব লাগিছে” বুলি ফকৃফকীয়া বুঢ়া এটাই মোক গঁতিয়াই আনি ৰভাৰ বাজ কৰি থৈ গলহি। মোৰ পেটেপেটে হাঁহি উঠিল। বোলে, “কালবো কাল, বিপৰীত কাল, হৰিণাই চেলেকে বাঘৰ গাল!” ঘৰত আহি কথাটো উলিয়ালত বুঢ়ী আৰু আজলীয়ে মোৰ ডিঙ্গিত ধৰি ইনাই-বিনাই কান্দিলে।

বুঢ়ীৰ ঘৰত চপনীয়াৰ দৰে বছৰেকমান আছোঁ। ইয়েসিয়ে মোৰ কথা সুধিলে বুঢ়ীয়ে ঘৰ-জোঁৱাই বুলি মোৰ চিনাকি দিয়া হল। আৰু, ছোৱালীটিয়েও মোলৈ বেলেগ ভাৱে চোৱা হল। তাইৰ মনে-মনে কিবা পোহনীয়া আশা এটি থকা যেন দেখা যায়। সেই আশাৰ পোহৰ তাই কেতিয়াবা মোৰ গাত পেলাই চায়। কিন্তু, চায়, আৰু চায়, তাই একো নাজানে দেহি! আশাৰ পোহৰ কেতিয়া কেনেকৈ মোৰ গাত পৰেহি, মই হে গম্ পাওঁ, আজলীয়ে তাৰ একো ভু-ভা নাপায়। দহ বছৰীয়া আজলী এনেবোৰ কথাৰ ধকৰা নৌ হয় এথোন। তাইৰ অন্তৰত কেৱল মোলৈ কিবা আপোন ভাব এটা। তাকে তাই ফুটাব নাজানে। যেতিয়া সি আপুনি ফুটি উঠে, তেতিয়া মই তত্ ধৰোঁ আৰু বুঢ়ীয়ে বুজ পায়। মোৰ কিন্তু তেতিয়া বুকুখন হম্‌হমাই যায়। তেতিয়া মই ক'ত থাকো কব নোৱাৰা হওঁ। পুৰণি স্মৃতিয়ে মোক নতুন পাহৰা কৰে। খন্তেকলৈ মোৰ ভেশছন মই পাহৰি যাওঁ। এই ভাবেই আৰু ভালেমান দিন গল। এদিন বুঢ়ীয়ে মোক ওচৰত চপাই লৈ মৰম লগাই কলে, “বোপাই, এটা কথা কওঁ, কাণ দিবি দেই!”

মই।—বাৰু, শুনিছোঁ, কোৱাঁ।

বুঢ়ী।—বোপাই, মই বুঢ়ী মানুহ। কাহানি মৰোঁ, ঠিকনা নাই; তইঁতৰ এটা গতি লগাই থৈ যাব পাৰিলে ভাল।

মই।—কোন্ ফালে নো গতি লগাব খুজিছা, আই?

বুঢ়ী।—বোলোঁ, মই জীয়াই থাকোঁতেই আজলীৰে ঘৰখন পকাকৈ পাতি দিব খোজোঁ।

মই।—কিনো কথা কোৱাঁ আই! অকণমান ছোৱালীটিৰে সৈতে নো ঘৰ পাতে নে!

বুঢ়ী।—নহয়, বোপাই, ধৰম-বিয়া দিয়াৰ নিয়ম আছে নহয়। আমি দুখীয়া মানুহ, সিমানৰ লায়েক নহওঁ। তেও বুলি তামোল-পাণ এটা কটোৰাৰ দিহা কৰোঁ বুলিছোঁ।

মই আৰু ৰব নোৱাৰিলোঁ। শোকে-বেজাৰে লাজে-ধিক্কাৰে মোক ভেটি ধৰিলে। কিছুমান পৰ মাতিব নোৱাৰা হৈ টলকা মাৰিলোঁ; মোৰ নিমাতেই মান্তিৰ লক্ষণ মানি বুঢ়ীয়ে হৰিষ মনেৰে তাৰপৰা উঠি বনত ধৰিলেগৈ।

ইয়াৰ পাচত আৰু মাহচাৰেক পাৰ হল। মই বুঢ়ীৰ ঘৰতে মনেপতা ঘৰ-জোঁৱাইৰ বৃত্তি লৈ বন-বাৰি কৰি ভাত মোকলাই আছোঁ। আৰু, পিচলৈ, মোক বুঢ়ীৰ ঘৰৰে এটা বুলি সকলোৰে বিশ্বাস ভাঠ্ হল। ময়ো আনৰ আগত 'আমাৰ ঘৰ' বুলি বুঢ়ীৰ ঘৰকে বুজোৱা হলোঁ। ইফালে বুঢ়ীয়ে বিয়াৰ কথা ঘনাই উলিয়াবলৈ ধৰিলে। আৰু, লাহে লাহে মই নেমাতি ৰণ জিকাৰ কাল উকলিবলৈ ধৰিলে। গতিকে, পাচলৈ এইবোৰ কথা উলিয়াবলৈ মই বুঢ়ীক ছেগ নিদিবলৈ চেষ্টা কৰা হলোঁ। সেই অৰ্থে, মই ঘৰত থকাৰ সময়ত পৰাপক্ষত কেতিয়াও অকলৈ নাথাকোঁ। কোনো প্ৰকাৰৰ কল-বুদ্ধি কৰি আজলীক সততে মোৰ ওচৰত ৰখা হলোঁ। মোৰ মৰম পাই আজলীয়েও মোৰ লগ ৰবকৈ ধৰা হল। এই কথাত বুঢ়ীৰো সন্তোষ। মই আজলীক আপোনা-আপুনি মৰম কৰা হৈছোঁ, আজলীয়েও মোৰ লগ নেৰা হৈছে, এই কথাত বুঢ়ীৰ মনে-মনে বৰ ৰং। বুঢ়ীয়ে যিহকে কামনা কৰিছিল, কাৰ্য্যত দেখিবলৈ পাইছে। বুঢ়ীক আৰু লাগে কি? বুঢ়ীক লাগে, মুঠেই আজলীৰে সৈতে মোৰ ঘৰ পতা কথাটো লোকে জনাকৈ পকা হব লাগে। ইমানেই বাকী। বুঢ়ীয়ে বুজি ললে, সেই ফেৰাও এদিন হেলাৰঙ্গে হব। আৰু দিনচাৰেক যাওক, পাচলৈ ল'ৰাৰ লাজ ভাগিলে মুখ ফুটাই মত দিব। এই কথা আৰ-তাৰ আগত কৈ বুঢ়ীয়ে আনন্দ পায়, মই মহা চিন্তাত পৰোঁ।

এইদৰেই গল আৰু ভালেমান দিন। এদিন পুৱা বুঢ়ী

জকাই ৰাবলৈ ওলাল। মোক কলে, "বোপাই, সোৱা দলনিত ভেটা দি জাকৈয়াই মাছ ধৰিছে। ময়ো যাওঁচোন, তইঁতেই পিটিকি খাবলৈ পুঁঠি-কানি এটা পাওঁ বা। আজলীয়ে ধান জাল দি থাওক। এই খেৰেৰে ধান নেফাটিবগৈ হবলা। নাটনি পৰিলে তই বাঁহতলৰপৰা জেংখৰি অলপ বিচাৰি দিবিহি দেই।" এই কথা কৈ বুঢ়ী মাছলৈ গ'ল। আমি গৃহস্থ আৰু গৃহিণী ঘৰ-ৰখীয়া ৰলোঁ। এইখিনিতে মোৰ অলপ দুখত আনন্দ কৰিবৰ মন গ'ল। ধান-খেৰৰ ওপৰতে দুয়ো বহি আমি প্ৰেমালাপত ধৰিলোঁ। মই প্ৰথমে মাত দিলোঁ, "আজলী!"

আজলী।—হঁা, কি?

মই।—কি, তাহানি যে খাইছিলি টেঙ্গা পাতত দি।

আজলী।—হেঁই, এইটো। কেনে কথাবোৰ কয়।

মই।—ইঅ। কিঔ। গিৰিয়েকক হেঁই এইটো বোলে দেখোন। কিনো আজলীঔ!

আজলী।—কোন গিৰিষেকক?

মই।—মোক।

আজলী।—ইঃ মিছাকৈয়ে। গিৰিয়েকে বিয়া কৰায় নহয়। পিচে, আমাৰ বিয়া ক'তা?

মই।—আমাৰো বিয়া হব নহয়?

আজলী।—কোনে কৈছে?

মই।—আইয়ে কৈছে।

আজলী।—তেনেহলে বৰ ভাল হব, নহয় নে? আমি দৰা-কইনা হম, নহয় নে? নোৰাওঁতে মোৰ ফটাকানিৰ কইনাটিও লৈ থাকিম দেই।

জোকাই কিল্ খালোঁ মাথোন। আৰু মাতিবৰ সাধ্য নহল। জেংখৰি লুৰিবলৈ বুলি মই লাহে লাহে নাদৰ পাৰৰ ফালে আঁতৰ হলোঁ। বুঢ়ীৰ আদেশ মতে আজলীক জেংখৰি যোগাবগৈ লাগিব। সেই কাৰণে, বাঁহতলৰপৰা কেভালমান বাঁহৰ জেং টানি আনি মুকলিত উলিয়ালোঁহি। তাৰ পাচত, দেখিলোঁ যে, ঢাপৰ ওপৰত উঠিলে তাৰপৰা দলনিত জকাই বোৱা দেখা পায়। মই আগেয়ে জকাই বোৱা কেতিয়াও দেখা নাছিলোঁ। গতিকে, মই কেতেকী ফুলৰ জোপা থকা ঢাপটোত উঠি একাণপতীয়াকৈ মাছ ধৰা চাবলৈ লাগিলোঁ। দেখিলোঁ, মাইকী মানুহবিলাকে গাৰ শুকান কাপোৰ মূৰত পাগুৰিৰ দৰে মেৰিয়াই লৈ কঁকালত থালৈ বান্ধি দল ছিঙ্গিছে। কেইজনীমানে সেই দলেৰেই পানীৰ ওপৰত ঘূৰণীয়াকৈ এটা ঢাপ বান্ধিছে। সেই মেৰটোৰ দ ফালে এখন মুখ কৰি ভেটা মোকলাই ৰাখিছে। আৰু, তাৰপৰা দ-ৰ ফালে কুলামুখীয়াকৈ দুশাৰী জকাই পাতি, জাকৈয়াবিলাকে পানী ছটিয়াই মাছ হবাই আনিছেগৈ। ভেটাৰ মুখ পোৱাহি মাত্ৰকে ছিঙ্গি থোৱা দলেৰে মুখ মাৰি পেলাই, আটাইবিলাকে নিজ নিজ জাকৈ লৈ মেৰৰ ভিতৰত মাছ ধৰিবলৈ লাগি গৈছে। এনেতে, মোৰ পিচফালে 'ফোঁচ্' 'ফোঁচ্' শবদ শুনা গ'ল। মই মাছ মৰা চোৱাত মগ্ন হৈ তালৈ বৰ কাণ কৰা নাই। তাৰ পাচত, এবাৰ গাতে ফোঁচ্ কৰি উঠা যেন পালোঁ। ময়ো আওকণীয়া ভাবত লাঠি মৰাৰ দৰে বাওঁ ভৰিটো পিচলৈ মাৰি পঠিয়ালোঁ। মোৰ কলাফুলতে ঠহৰ কৰে ফুটাৰ গম্ পালোঁ। কেতেকী ফুলৰ কাঁইটে বিন্ধিলে বুলি মই উলটি চাওঁ দেখোন এটা বৰ ডাঙৰ ফেঁটী সাপ! মই আছাৰ খাই তিনটামান জঁাপ মাৰি ঢাপৰপৰা দহ হাতমানৰ আঁতৰত পৰিলোঁগৈ। ভয়ত গাৰ কঁপনি উঠিল। 'আজলীঔ' বুলি এটা চিয়ঁৰ মাৰিলোঁ। সেই চিয়ঁৰ শুনি আজলী একে লৰে ওচৰ কাষ পালেহি। বিষ ক্ৰমাৎ উধাই আহিল। মোৰ মুখৰ মাত হেৰাল। সাপটোৰ ফালে আঙুলিয়াই আৰু মোৰ কলাফুল দেখুৱাই আজলীক সঙ্কেতত বুজালোঁ যে, সেইখিনিতে মোক সাপে খুটিলে। আজলী বাউলী হৈ তাৰপৰা মাকৰ ওচৰলৈ উধাতু খাই লৰি গ'ল। মই অজ্ঞান হৈ পৰিলোঁ।

দশম অধ্যায়

উন্মাদিনী

ডেৰবছৰমানৰ মূৰত মই ধৰা পৰিলোঁ। মই ধৰা পৰাত বৰকৈ লগা নাই। ধৰি নো মোক কি কৰিব। কিন্তু, মোৰ যে ফাঁকটি ধৰা পৰিল! বেজ জানীৰ জৰা-ফুকা,

দৰৱ-জাতিয়ে মোৰ চেতনা আনিলে। মই সাৰ পাই উঠি দেখোঁ যে, মোৰ গাত আকৌ তিৰোতাৰ সাজ-পাৰ! মই বুঢ়ীৰ আগত মুখ দেখুৱাবলৈ মৰাৰ সমান টান পোৱা হলোঁ। তাতোকৈ আজলীৰ আগত মুখ উলিয়াবলৈ টান হ'ল। লাজে-সন্তাপে মোক অস্থিৰ কৰি পেলালে। ইয়াতকৈ মোৰ মৰণ হেজাৰ গুণে ভাল যেন ভাবিলোঁ। একেই দংশনৰ বিকাৰ। তাতে এনে বিষম মনস্তাপে মোক মোত্ নাইকিয়া যেন কৰিলে। মই উন্মাদিনী হলোঁ।

এনে অৱস্থাত মোৰ কিমান দিন গৈছে কব নোৱাৰোঁ। এদিন জনচাৰেক মানুহে সৈতে আহি মাজিউ নিচাওদেউ উপস্থিত। সিবিলাকৰ মাজত চাকুলী বুঢ়ীকো দেখা যেন লাগিল। নিচাওদেউক দেখা মাত্ৰকে মোক লাজে-ভয়ে-বেজাৰে জুমুৰি দি ধৰিলে। চিল্‌মিল্‌কৈ যি এফেৰা মই জ্ঞান পাইছিলোঁ, সিও হেৰাল। মই চকুৰ আগত কি দেখোঁ কব নোৱাৰোঁ। কেৱল হঁহা-কন্দা। কেতিয়াবা আনন্দত উতলি উঠোঁ। অকলৈ অকলৈ হাঁহি পেটুনাড়ী ছিঙো। কেতিয়াবা বিষাদত ক'লা পৰোঁ, কান্দোনত থলক লগাওঁ। আৰু, কথা কোৱাৰ অন্ত নাই। বলকনিত কি ওলায় কব নোৱাৰোঁ। বুজাই তাৰেপৰা সবিশেষ বুজি উঠে। আনে যিমান বুজে, চাকুলী বুঢ়ীয়ে তাতকৈ বেচি বুজে।

মই ক'ত কব নোৱাৰোঁ। জিলিমিলি কল্পনাৰ দৰে দেখা পাওঁ, যেন আমাৰ আগৰ ঘৰ-দুৱাৰ। আৰু, আটাই-বিলাক মোৰ চিনাকি মানুহ যেন লাগি যায়। কিন্তু দেখিছোঁ বুলি, সঁচাকৈ দেখিছোঁ যেন ভাব হোৱা নাই। কিয়নো, এই অৱস্থাত বুঢ়ীৰ ঘৰতো এইবিলাক মানুহকে দেখা যেন মনত পৰে। ওচৰত যিবিলাক আছিল, তাৰ ভিতৰত কেৱল চাকুলী বাইক হে ধুকুপকৈ চিনিছিলোঁ। মই চাকুলীৰ হাতত যি খামোচ মাৰি ধৰিলোঁ তাক মুকলি কৰা নাই। বপুৰীয়ে বাহিৰলৈকো এৰাই যাব নোৱাৰাত পৰিল। ঘৰত আৰু চুবুৰীত হুলস্থুল। মানুহেৰে ঘৰ নধৰা হৈছে। কি হৈছে মই কব নোৱাৰোঁ। মানুহ আহেমানে মোৰ উলাহ লাগে। মাজে মাজে "বিয়া বিয়া, আজলীৰ বিয়া" এই বুলি চিঞঁৰি উঠোঁ। আচল অৰ্থ কি কোনোৱে নুবুজে। কিছুমানে বুজে যে, মোৰ অনিচ্ছাত মোৰ বিয়া পাতিবলৈ ধৰিছিল কাৰণে, সেই ভাবেই এতিয়া ভেজিছেহি। যেয়ে শুনে সেয়ে হাঁয় হাঁয় কৰি আতৰ হয়। এনে অৱস্থাতে চকু-লো টুকি টুকি দেউতাক মোৰ ওচৰলৈ অহা দেখা পালোঁ। মই একেচাবে গৈ দেউতাৰ ডিঙিত ধৰি ওলমি পৰিলোঁ। সেই ফেৰি মাত্ৰ মোৰ ধুকুপ জ্ঞান আছিল। দেউতাক দেখা মাত্ৰকে চিনিলোঁ, সেয়ে মোৰ চেনেহৰ উঁৱাল দেউতা বুলি মই তেতিয়াও চিনিলোঁ। কিন্তু, মোৰ অৱস্থা দেখি দেউতা অস্থিৰ হৈ পৰিল। সামান্য মানুহে কন্দাৰ নিচিনাকৈ তেওঁ চিঞঁৰি চিঞঁৰি কান্দিবলৈ ধৰিলে। আৰু, মানুহে ধৰি-মেলি তেওঁক মোৰ হাতৰপৰা এৰুৱাই বাহিৰলৈ লৈ গ'ল। তাৰ পাচত, আকৌ কিমান হাঁহিছোঁ কিমান কান্দিছোঁ, কিমান বলকিছোঁ তাৰ সীমা নাই। এইবাৰ ঘনে ঘনে 'গোহাঞিদেৱ, গোহাঞিদেৱ' বুলি চিঞঁৰিবলৈ ধৰিলোঁ। বেজবৰুৱাই ব্যৱস্থা দিলে যে, এই অৱস্থাত যাক যেতিয়া বিচাৰে, তেওঁ তেতিয়া ৰোগীৰ ওচৰ চপাটো ভাল। আৰু, যাক যাক ভাল পাই বিচাৰে, সেইবিলাক হে ওচৰত থাকিব, আনবিলাক আঁতৰিব লাগে। বেজবৰুৱাৰ ব্যৱস্থা মতে কাম হ'ল। বাজে মানুহবিলাক বাহিৰ-ঘৰলৈ আঁতৰি গ'ল; আৰু মই বৰকৈ বিচাৰিবৰ দেখি গোহাঞিদেৱক ওচৰ চাপিবলৈ দিলে। মই গোহাঞিদেৱক নিলগত দেখা মাত্ৰকে তেওঁৰ ভৰিত গবা মাৰি ধৰিলোঁগৈ। আৰু, তেওঁৰ দুটি ভৰিত পৰি সেৱা কৰিবলৈ ধৰিলোঁ। বেজবৰুৱা প্ৰমুখ্যে সকলো নিটাল মাৰিলে। এনে অৱস্থাত স্থিৰ থাকিব নোৱাৰি, গোহাঞিদেৱেও হুক্‌হুক্‌কৈ কান্দিবলৈ ধৰিলে। দেউতাক দেখি যেনে এফেৰি সজ্ঞান হৈছিলোঁ, গোহাঞিদেৱক দেখি তাতকৈও বেচি সুস্থিৰ বোধ কৰিছিলোঁ। সেই কাৰণে, গোহাঞিদেৱক কান্দিবৰ দেখি মই অলপ নিটাল মাৰিলোঁ। আৰু, তেওঁ যেতিয়া চকুৰ পানী টুকি মোক কাতৰভাৱে সুধিলে, "কি হৈছে তোমাৰ, ভানু!" তেতিয়া মই যেন কিবা উত্তৰ দিবলৈ অলপ ভাবিছোঁ, এনে বুজা গ'ল। এইবোৰ কথা বেজবৰুৱাই মনপাৰি লক্ষ্য কৰি আছিল। আৰু, শেহত তেওঁ ইয়াকে ব্যৱস্থা দি গ'ল, "সম্প্ৰতি ঔষধৰ কাম নহয়; যাক দেখিলে ৰোগী অলপ শান্ত হয়, সেইবিলাকে ওচৰত থাকি শুশ্ৰূষা

কৰিব লাগে। মই থকালৈকে যি দেখিছোঁ, সেই মতে চাকুলী বুঢ়ী, ভাঙৰীয়া আৰু চাৰু গোহাঞিদেৱে পাল-পাল্কৈ পৰীয়া থকা উচিত।"

বেজবৰুৱাৰ ব্যৱস্থামতে কাৰ্য্য হবলৈ ধৰিলে। আৰু, মই ক্ৰমাৎ সুস্থিৰ হৈ আহিলোঁ। যিমান সুস্থিৰ হবলৈ ধৰিলোঁ, সিমান আকৌ আগৰ ঘটনাবোৰ মনত স্বৰূপভাৱে পৰিবলৈ ধৰিলে। মই ঘৰ এৰি যোৱাৰ পাচত যে মোৰ মৰমৰ দেউতা আৰু গোহাঞিদেৱৰ কোনো বিঘিনি ঘটা নাই, এই কথাই মোৰ মনত শান্তি দিবলৈ ধৰিলে। আৰু, যোৱা বিপদৰপৰা উদ্ধাৰ পাই যে সিবিলাকক মই আকৌ পালোঁহি, এই কথাত মোৰ সন্তোষ লাগি আছিল। বিশেষ, মই পলোৱাৰ বাবে যে গোহাঞিদেৱৰ গাত একো ঘাটি নালাগিল, সেই বাবে নিজক নিজে অলপ ভাগ্যৱতী যেন ভাবিবলৈ ধৰিলোঁ। আৰু, মোৰ উন্মাদিনী অৱস্থাই যে ইমান দিনৰ মূৰত গোহাঞিদেৱৰ প্ৰতি মোৰ স্বামী-ভক্তি প্ৰকাশ কৰিবলৈ মোক সুচেগ দিছে, ইও এটা মোৰ সুখৰ কাৰণ হল। কিন্তু, পাচলৈ যিমানেই সুস্থিৰ হৈ আহিলোঁ, সিমানেই গোহাঞিদেৱৰে সৈতে দেখা-দেখিকৈ কথাবাৰ্ত্তা হবলৈ লাজ লগা হৈ আহিল! আৰু, তেৰোঁ মোক দেখা দিয়াটো ক্ৰমাৎ পাতলাই নিলে; সদৌশেহত, আকৌ দুইকো দুয়ে লুকাই-চুৰকৈ দেখা দিয়াত পৰিলোঁ। আকৌ চিঠি-পত্ৰেৰে মনৰ কথা জনোৱা-জনিত পৰিল।

দেউতাক শুশ্ৰূষা কৰাত আগতকৈ মোৰ যত্ন বেচি হল। বুঢ়া কালত মোৰ দেউতাই মোৰপৰা ইমান সন্তাপ পালে, সেই বাবে দেউতাৰ সুখ-শান্তি বঢ়াবলৈ মই পাৰোঁ-মানে মন পাৰি লাগিলোঁ। দেউতাই যাতে হৈ যোৱা দুৰ্ঘটনা পাহৰি, আকৌ সন্তোষত দিন দিনাব পাৰে, তালৈ মই সততে সতৰ্ক হবলৈ ধৰিলোঁ। আৰু, দেউতায়ো মোৰ মন ভাল লগা কাম কৰিবলৈ হে বিচৰা হল। মোৰ অনিচ্ছাৰ কাম যাতে ভুলতো কৰা নহয়, তাৰ নিমিত্তে তেওঁ সাৱধানে চলা মই বুজিব পাৰিলোঁ। এনে সন্তোষৰ সময়ত, মোৰ বিপদৰ বান্ধৱী ভদৰী বুঢ়ীলৈ মোৰ মনত পৰিল। মোৰ কাল্পনিক পাত্ৰী অতি চেনেহৰ আজলীৰ কথালৈ মোৰ স্মৰণ হল। মই এদিন চেগ বুজি, সিহঁতে মোক উপকাৰ কৰাৰ কথা দেউতাক জনালোঁ। আৰু, মোৰ খাটনি মতেই দেউতাই বুঢ়ীক জীয়েকে সৈতে সিহঁতৰ গাৰঁৰপৰা তুলি আনি আমাৰ টোলৰ ভিতৰতে ঘৰ-দুৱাৰ সজাই দি থাকিবলৈ ঠাই দিলে। মোৰ জঁয় পৰা জীৱন-গছজুপি পুনৰপি ঠন্ ধৰি উঠিল।

একাদশ আধ্যা

বিষাদিনী

এই সংসাৰত তিতাৰে হে মানুহৰ মুখ ভৰিছে। মিঠাৰ চেলেক এটা মাথোন। কিন্তু, সেয়ে এনে সোৱাদ যে, তাক জীৱন্তে পাহৰিব নোৱাৰি। সংসাৰত তিতাৰ ভাগ বেচি কাৰণেই, মিঠাৰ অনুভৱ অতি আপুৰুগীয়া। এতেকে দৰাচলতে যাৰ দুখ-বেজাৰ বেচি, তাক হে বেচি সুভগীয়া বুলিব লগীয়া।

সি যি হওক, এই দুখনীৰ দুখৰ ওৰ নপৰিল। ইয়াৰ আগেয়ে হোৱা উন্মাদিনী অৱস্থাই সুখ-দুখ আৰু সম্পদ-আপদ চপাই আনি মোক এতিয়া বিষাদিনী কৰিলে। সেই উন্মাদিনীৰ দশাতে মই আকৌ এবাৰ মোৰ প্ৰাণেশ্বৰ গোহাঞিদেৱৰ চৰণ পৰশন কৰিবলৈ পালোঁ। হৈ যোৱা দুৰ্ঘটনা আৰু দুখৰ কাহিনী তেওঁৰ আগত নিজমুখে নিবে-দিবলৈ পালোঁ। কিন্তু, সেই অৱস্থাই মোৰ আকৌ কাল হল। এই উন্মাদিনী অৱস্থাত গোহাঞিদেৱৰ সম্বন্ধে যি যি কৈছিলোঁ, সেই আটাইবোৰ তিলে তাল হৈ ৰজাৰ কাণত পৰিলগৈ। তাতোকৈ, গোহাঞিদেৱৰ শুশ্ৰূষাই যে মোক সেই অৱস্থাত সবাতকৈ বেচি গুণ দিলে, এই কথাই ৰজাৰ ঈৰ্ষা-জুইত যেন ঘিঁউ হে ঢালি দিলে। তাতে, এতিয়া আৰু আমাৰ বুঢ়া ৰজা নাই। এতিয়া মোৰ আজন্ম শত্ৰু তিৰোতা-সেকৰা ৰজাৰ ৰাণী ৰাজ্যৰ গৰাকিণী। সেই ভাবী সতিনীয়ে কৰোঁ বুলিলে মোৰ অনিষ্টৰ পাৰ নোহোৱা কৰিব পাৰে। গতিকে, মোৰ নিৰ্দ্দোষী দেউতা আৰু গোহাঞিদেৱৰ ওপৰত ৰাজ-অত্যাচাৰ দিনক-দিনে বাঢ়িবলৈ ধৰিলে।

দেউতাক এনাজগৰত ঘনাই বেজাৰ-অপমান দিবলৈ কুৱঁৰীয়ে ছেগ বিচৰা হল। আৰু, চল চাই, আগৰ বিহ-বিয়াৰ কথা আকৌ তুলিবলৈকো ৰজাই বাকী নেৰিলে। কিন্তু, এইবাৰ দেউতাৰ তেনে কথাত সমূলি মত নাই বুলি বুজিব পাৰি, পাচলৈ তেওঁক সেই বিষয়ে ৰজাই একো নোকোৱা হল। তাৰ পাচত, দুৰ্ব্বল-চিতীয়া তিৰোতাসেকৰা ৰজাই গোহাঞিদেৱৰ ওপৰত চকু দিলে। তেওঁৰ ওপৰত ৰজাই নিজেই অভিযোগ আনিলে। গোহাঞিদেৱৰ মন্ত্ৰণা মতেই মই পলাই যাওঁ আৰু সেই বাবেই ৰজাৰ মোৰ লগত পাতিব খোজা বিয়াও ভঙ্গা গল, এই কথা তৰি, তেওঁ গোহাঞিদেৱক অপৰাধী কৰি বিচাৰ-চ'ৰাত থিয় কৰালে। ডাঙৰীয়া-বিষয়াসকলৰ ভিতৰত দেউতাক গোচৰৰ সম্পৰ্কীয় লোক বুলি বাদ দিয়েই ললে। তাৰ পাচত, আনবিলাক ডাঙৰীয়া-বিষয়াও সকলোটি উপস্থিত হবলৈ নৌ পাওঁতেই, গোহাঞিদেৱক বন্দীশাললৈ নিবলৈ কুৱঁৰী-টোলৰপৰা আজ্ঞা আহিল। সেই অন্যায়-অবিচাৰৰ আজ্ঞা শুনি সভাসদ সকলোৱে মূৰে-কপালে হাত দি দুখ প্ৰকাশ কৰিবলৈ ধৰিলে। চাৰিওফালে এই কথা বিয়পি পৰিল। মই শুনা মাত্ৰকে বিবুদ্ধি হলোঁ। মই আকৌ উন্মাদিনী হৈ বিচাৰ-চ'ৰালৈলৰ ধৰিলোঁ। কিন্তু, মই গৈ চ'ৰাত যাক বিচাৰিলোঁ, তেওঁক আৰু দেখা নাপালোঁ।

এইবাৰ মই বিষাদিনী। মোৰ মনস্তাপ চতুৰ্গুণে বাঢ়িবলৈ ধৰিলে। মোৰপৰাই গোহাঞিদেৱৰ ইমান দুখ-দুৰ্গতি! মোৰ নিমিত্তেই তেওঁৰ আজি এনে আপদ! যি গোহাঞিদেৱৰ মঙ্গলৰ অৰ্থে দেশ গোটেইখনে কামনা কৰে, যাৰ সুখ-সন্তোষ মান-গৌৰৱ বঢ়াবলৈ বুঢ়াজনা স্বৰ্গদেৱৰ যত্নৰ ক্ৰুটী নহৈছিল, যি আজিত বাজে কাইলৈ ঘাইমন্ত্ৰীৰ বাৰ পালেহেঁতেন, আজি সেই গোহাঞিদেৱ বিনা অপৰাধত বন্দীশালত! এইবিলাক সকলো এই অভাগিনীৰপৰাই ঘটিছে। এই কথা, অকল ময়েই নহয়, ওচৰ-চুবুৰীয়াই নহয়, গোটেই ৰাজ্যৰ মানুহে জানিছে। ময়ে মোৰ গোহাঞিদেৱৰ বিপদৰ কাৰণ হলোঁ। যাৰ নিমিত্তে মোৰ জীৱনত দুখ-বেজাৰৰ সীমা নাথাকিল, সেই ময়ে তেওঁৰ কাল হলোঁ! মৰোঁগে বুলিয়েই ৰাতি অকলৈ ওলাই গৈয়ো মৰিব নাজানিলোঁ! আন্ধাৰ ৰাতি ঢেৰেকনি-ধুমুহায়ো এই জীৱন অন্ত কৰিব নোৱাৰিলে। বনৰীয়া জন্তুৰ মুখত পৰিবলৈ গৈয়ো এই জীৱন অন্ত কৰিব নোৱাৰিলোঁ। আন কি সৰ্পৰ বিষম দংশনতো এই লেলেতীয়া প্ৰাণ নাশ নহল। নহয়, এই জীৱনৰ কোনো মতে অন্ত নহয়। ইয়াৰ আৰু কিমান লেলাত ভুঞ্জিবলৈ বাকী ৰৈছে, বুজিব পৰা নাই। এই ভগা হিয়াত দুখৰ আৰু কিমান খুন্দা সহিবলৈ আছে কব নোৱাৰি। হায়, বাউলী উন্মাদিনী অৱস্থাতে কেইদিন-মানলৈ সুভাগিনী হৈছিলোঁ। সেই অৱস্থাতে দুখ-বেজাৰৰ অলপ পাৰ পাইছিলোঁ। এই জীৱনৰ শেহছোৱা সেই দৰেই যোৱা হলেও ভাগ্য বুলি ভাবিছিলোঁ। ঈশ্বৰে মোক তাৰপৰাও বঞ্চিত কৰিলে; মোক সুস্থিৰ কৰি এতিয়া বিষাদিনী কৰিলে; উন্মাদিনী তাৰু বিষাদিনীৰ সুখ-দুখৰ হীন-ডেঢ়ি মোক ইমান ঘনাই অনুভৱ কৰালে। অকল এটা জীৱনতে বিধাতাই অত যন্ত্ৰণাৰ লেখ কিয় লিখিলে! ধৰিবলৈ গলে, উন্মাদিনী অৱস্থাতকৈ এতিয়া বিষাদিনীৰ অৱস্থাই মোক মনস্তাপৰ অথাই পানীলৈ উটাই নিবলৈ ধৰিছে। আগেয়ে মোৰ বিপদ খণ্ডনৰ নিমিত্তে ভাবোঁতা আছিল, এতিয়া বিপদ খণ্ডাবলৈ মই ভাবিব লগাত পৰিলোঁ।

অন্তৰত মোক একুৰা জুয়েই পুৰি-ডেই মাৰিব লাগিছে, তাৰ উপৰি দুৰ্ম্মতি ৰজাৰ নিঠুৰ ব্যৱহাৰ! ৰজাই তেওঁৰ দুৰ্ব্বল মনৰ দৰেই আটাইকে ভাবিছে। তেওঁৰ মনেৰে আনৰ পবিত্ৰ মন কলুষিত কৰিবলৈকো ৰাজক্ষমতাই বল দিব পাৰে! মোৰ প্ৰাণেশ্বৰ গোহাঞিদেৱক বন্দী কৰি থৈ, তেওঁ মোৰ প্ৰাণৰ অধীশ্বৰ হবলৈ হাত মেলে! তেওঁ নাজানে মোৰ প্ৰাণৰ ওপৰত মোৰ কিমান অধিকাৰ। তেওঁৰ বুজিবৰ শক্তি নাই যে, সেই প্ৰাণ মই কাৰ নিমিত্তে ইমান যতনেৰে দেহাত ধৰি আছোঁ। তেওঁৰ বুজিবলৈ এতিয়াও বাকী যে, গোটেই পৃথিবীৰ ক্ষমতা একলীয়া হৈ লাগিলেও মোৰ প্ৰেমদুৰ্গ ৰক্ষণত মোক ঘটাব নোৱাৰিব। কিন্তু, যাৰ নিমিত্তে সি ৰক্ষিত, তেওঁ ওচৰ ছুপা মাত্ৰকে তাৰ দুৱাৰ আপুনি মুকলি হয়। তেনে দুৰ্গৰ অধিকাৰীক নিলগাই আটক কৰি থৈ, তিৰোতাসেকৰা পাপমতি ৰজাই

মোৰ পৱিত্ৰ বস্তুলৈ হাত পাতে! তেওঁ দেউতাৰ আগত এনে কথা আকৌ তুলিবলৈ অকণো সঙ্কোচ নকৰিলে! মোৰ প্ৰাণেশ্বৰ গোহাঞিদেৱৰ প্ৰতি দেখাদেখিকৈ অবিচাৰ কৰি, ৰাজ্যৰ ধৰণীস্বৰূপ যাই বিষয়া মোৰ দেউতাৰ আগত ৰজাই কোন্ সতে সেই বিহ-বিয়াৰ কথা আকৌ তোলে! হায়, এই পৃথিবীত মানুহে কৰিব নোৱাৰা কাম নাই। অতি জঘন্য, অতি নীচ কামতো অতি উচ্চ আসনৰপৰা নামি আহি লিপ্ত হব পৰা মানুহৰো ভাৰ ধৰণীয়ে ধৰিব পাৰিছে! দুৰ্ব্বলমতি ৰজাই যি ভাবক, যি কৰক, এইবাৰ দেউতা সাগৰৰ দৰে গহীন, পৰ্ব্বতৰ দৰে অটল। দেউতাই ৰজাৰ চুপতিৰ নিচিনা কথালৈ কাণ নিদিয়ে। ৰজাই বণিয়াৰ দৰে আকৌ মোক বিয়া কৰোৱাৰ কথা তুলিলে দেউতাই তেওঁৰ প্ৰতি অৱজ্ঞা প্ৰকাশ কৰা হ'ল। এই কথাত পাপ-মতি ৰজা চতুৰ্গুণে জ্বলি উঠিল। ইয়াৰ প্ৰতিশোধ লবৰ নিমিত্তে তেওঁ দেখাদেখিকৈ দেউতাৰ বিপক্ষে যাবলৈ ধৰিলে। আৰু, সিফালে বন্দীশালত গোহাঞিদেৱক নানা অসহনীয় অত্যাচাৰ কৰিবলৈ ৰজা মতলীয়া হৈ উঠিল।

দ্বাদশ আধ্যা

সখী-সহায়

তৰা আইদেউৰে সৈতে মোৰ সখীয়াৰ সম্বন্ধ। কিন্তু, আনৰ নিচিনাকৈ সখীৰ আগত নিজৰ প্ৰেম আৰু প্ৰণয়ৰ আলচ পাতি সহায় বিচৰা অভ্যাস মোৰ নাছিল। মই সখীৰ আগত কেতিয়াও ভুলতো মোৰ গুপুত পৱিত্ৰ প্ৰণয়ৰ কথা উলিওৱা নাছিলোঁ। গোহাঞিদেৱ সম্পৰ্কে আগেয়ে মই সখীৰ আগত একো কথা কোৱা নাছিলোঁ। এই সংসাৰৰ আনবিলাক মানুহৰ ওচৰত যেনেকৈ আমাৰ পৱিত্ৰ প্ৰণয় গোপনীয় আছিল, সখীৰ ওচৰতো তেনে আছিল। মোৰ উন্মাদিনী অৱস্থাত মই নিজে প্ৰকাশ নকৰালৈকে আমাৰ পৱিত্ৰ প্ৰেমৰ বিষয়ে কেৱে বুজ নাপাইছিল। তৰা আইদেউ সখীয়েও সেই দিনাৰপৰাহে ইয়াৰ সম্ভেদ্ পোৱা হ'ল। কিন্তু, কিয় কব নোৱাৰোঁ, সেইদিন ধৰি মোলৈ তেওঁৰ আদৰ-সাদৰ আৰু মৰম-চেনেহ বাঢ়িহে আহিল। তেতিয়াৰপৰা মোৰে সৈতে তেওঁৰ সম্বন্ধ বেচি ওচৰ চপা যেন পালোঁ। আগেয়েও তৰা আইদেউৰ লগত মোৰ সখীৰ সম্বন্ধ ঢিলা নহয় যদিও, তেতিয়া ঘনাই দেখাদেখি হোৱাৰ অভ্যাস নাছিল। আগেয়ে তেওঁ মাহেকে-পষেকে একোবাৰ আমাৰ ঘৰলৈ আহিছিল। মই আকৌ তেওঁৰ ওচৰলৈ যোৱাটো তাতকৈও পাতল। কিন্তু, মোৰ উন্মাদিনী অৱস্থাৰ পাচৰপৰা তেওঁ নিতৌ আমাৰ ঘৰলৈ অহা হ'ল। দিনটোৰ ভিতৰত যেনে হলেও এবাৰ মোক লগ পাই যায়হি। আৰু, যেতিয়াই আহে, গোহাঞিদেৱৰ বিষয়ে দুটামান কথা নোসোধাকৈ বা নোকোৱাকৈ নাযায়। আগতোখৰত ভাবিছিলোঁ যে, তৰা আইদেউ এতিয়াও গোহাঞিদেৱৰ লগত বিয়া হোৱাৰ আশাতে আছে; তেওঁ এতিয়াও গোহাঞিদেৱৰ আশাতে দিন নিয়াইছে। মোৰ আঁচলৰ নিধি, হৃদয়ৰ মাণিক চুৰ কৰিবলৈ তেওঁ ছেগ চাই ফুৰিছে; সেই কাৰণেই, তেওঁ মোৰপৰা গোহাঞিদেৱৰ বিষয়ে কথা টুকি নিবলৈ আহে। আৰু, যাতে তেওঁৰ সেই চক্ৰান্তৰ গুটি ধৰে তাৰ চেষ্টাত তেওঁ সেইভাৱে অ
জানোৱা গোহাঞিদেৱৰ প্ৰতি মোৰ ভক্তি অ
প্ৰতি তেওঁৰ আসক্তি কমাব পাৰে, তেওঁ তাৰে ছিদ্ৰ বিচাৰি ফুৰেহি। কিন্তু, পাচলৈ দেখিলোঁ, সি নহয়। মই তেওঁৰ চৰিত্ৰ আৰু চলনত যি সন্দেহ কৰিছিলোঁ সি মিছা। তেওঁ তাৰপৰা বহু ওপৰত; তেওঁৰ মন আৰু হিয়াৰ ভাব সাধাৰণে ঢুকি নোপোৱাত। মোৰ ক্ষুদ্ৰ মতিয়ে তেওঁৰ মন আৰু ভাব ঢুকি নাপাইছিল। তৰা আইদেউৰ যত্নৰ ফল নিজলৈ নহয়, পৰলৈ হে। গোহাঞিদেৱৰ লগত তেওঁৰ বিয়া পতাবলৈ তেওঁৰ চেষ্টা নহয়, মোৰে সৈতে সেই কাৰ্য্য কেনেকৈ সমাধা হব পাৰে তাৰ নিমিত্তে হে তেওঁ এইদৰে ঘূৰে। ভালেমান দিন এই কথাত তেওঁৰ মই প্ৰমাণ বুজিলোঁ। মোৰ যিমানখিনি বিশ্বাস, তেওঁৰ অন্তৰত কুচুট কপট নাই। তেওঁ এগৰাকী নিঃস্বাৰ্থ প্ৰেমিকা। যাৰে-তাৰে পৱিত্ৰ প্ৰণয় ৰক্ষা কৰিবলৈ

তেওঁ অকাতৰে স্বাৰ্থ বলি দিব পাৰে। গোহাঞিদেৱৰ প্ৰতি তেওঁৰ যি ভাব, তাকো গম্ পাওঁ; কিন্তু সি যে মোৰ এফেৰিও অপকাৰ নকৰে তাকো জানোঁ।

গোহাঞিদেৱক বন্দীশাললৈ নিয়াৰপৰা মোৰ দৰেই তৰা আইদেৱেও বিয়াকুল হৈ ফুৰিছে। কি উপায়ে গোহাঞিদেৱক এই বিপদৰপৰা উদ্ধাৰ কৰিব পাৰি, তাৰ নিমিত্তে তেওঁ মহা চিন্তাত। মোৰ ওচৰলৈ দিনে দহ-বাৰকৈ আহি তাৰ আলচ পাতেহি। এইদৰেই এপষ পাৰ হৈ গল। কিন্তু, গোহাঞিদেৱৰ মুক্তিৰ অৰ্থে একো উপায় কৰিব নোৱাৰিলোঁহঁক। দিনৌ আলচোঁ, দিনৌ নিৰুপায় হৈ দুয়ো কান্দোঁ। কন্দাত বাজে আমাৰ আলোচনাৰ আন গুটি ধৰা নাই। পিচে, এদিন সেইদৰেই দুয়ো বহি আলচ পাতি আছোঁ, এনেতে কাঞ্চন সখী ওলালহি। ইয়াৰ আগেয়ে মোৰপৰা তেওঁ এই কথাৰ ভাগ পোৱা নাছিল। সেই কাৰণে, মই আমাৰ আলচৰ কথা টিপতে তল পেলাবলৈ চাইছিলোঁ। কিন্তু, তৰা আইদেউ সখীয়ে বোলে তেওঁৰে সৈতেও এই বিষয়ৰ আলচ পাতিছিল। সেই কাৰণে, সেই দিনাৰপৰা তিনিও একেলগে এই বিষয়ে আলচ পাতিবলৈ ধৰিলোঁ। এইদৰেই আৰু কেইবাদিনো গল। এদিন কাঞ্চন সখীয়ে কথা-বাৰ্ত্তাৰ মাজতে এইবুলি মাত লগাই উঠিলে, "তিনটা উধানৰ মূৰত চাউলকঠা সিজে। আমি তিনিমূৰ পাতি আমাৰ আলচকঠা সিজাব নোৱাৰিম নে?" এইবুলি তেওঁ খন্তেক চিন্তা কৰিলে। তাৰ পাচত, তৰা আইদেউলৈ চাই তেওঁ কলে, "সখীয়ে এদিন বন্দীশাল চাবলৈ যাবা বুলি অলপতে ৰজা ককাই-দেৱাৰাত জনাইছিলা নহয়? তেওঁ 'বাৰু' বুলিছিল বুলি দেখোন তুমি এদিন মোক কোৱা মনত পৰে।" তৰা আইদেৱে স্থৰিৰি চাই কলে, "সঁচা, ককাইদেৱে কেতিয়াবাই মোক বন্দীশাল চাবলৈ অনুমতি দিয়া আছে।" এই কথাত কাঞ্চনে আনন্দ প্ৰকাশ কৰি কলে, "তেনে হলে আৰু কি চিন্তা আছে। ৰজাৰ অনুমতি আছে যেতিয়া, আমাক কোনে পায়। বন্দীশালত সোমাই লৰঘৈ পাৰিলে এটা উপায় হব। সখী এতিয়া ঘৰলৈ যোৱাঁহি। কাইলৈ এটা কৰিব লাগে।" কাঞ্চনৰ কথাত আশ্বাস পাই তিনিওৰো মুখত অলপ আনন্দ বিৰিঙিল।

আশ্বাসতে প্ৰাণ ধৰি সেই দিনটো কটালোঁ। পিচদিনা পুৱাতে তৰা আইদেউ সখীৰপৰা এখন গোপনীয় চিঠি পালোঁ। চিঠি পঢ়ি আনন্দ লাগিল। সেইদিনাই সন্ধিয়াকৈ কাঞ্চন সখীৰে সৈতে তেওঁ বন্দীশাললৈ ওলাই আহিব। আমাৰ ঘৰৰ আগেদিয়েই যাবহি। যাওঁ যদি, মযো সিবিলাকক বাটতে লগ ধৰিব লাগিব। তেওঁবিলাক আমাৰ ঘৰত নোসোমায়। কিন্তু হায়, "যাওঁ যদি!" মোৰ প্ৰাণৰ প্ৰাণ, হৃদয়ৰ স্বামী গোহাঞিদেৱক বিপদত চাবলৈ আকৌ "যাওঁ যদি!" চিঠি পাবৰপৰা মোৰ মন উত্ৰাৱল হবলৈ ধৰিলে। কেতিয়া সন্ধিয়া হব, কেতিয়াকৈ তৰা আইদেউ সখীহঁত ওলাবহি, ইয়াকেহে চিন্তিব লাগিছোঁ। এনে দিন বৰ দীঘল! ৰাতিপুৱাৰপৰা সন্ধিয়ালৈকে! ইমান নাযায়-স্থপুৱায় দিনটো মই কেনেকৈ পাৰ কৰোঁ! এনে ভাবি চাটিফুটিকৈ আছোঁ, এনেতে দেউতা অতি বিমৰ্ষভাৱে দুপৰীয়া ঘৰ ওলাইছেহি। এই কেইদিন দেউতাৰ মুখলৈ চাব নোৱাৰি, তেওঁৰ বিমৰ্ষভাব দেখিলে মোৰ হিয়া ফাটি যায় যেন লাগে। অধৰমী ৰজাই যিমান পাৰে দেউতাক বেজাৰ দিবলৈ ছেগ চাই ফুৰে। সেই দিনাও এনাজগৰত নানা ককৰ্থনা কৰি তেওঁক বেজাৰ দি পঠিয়াইছিল। দেউতা ভিতৰ সোমালত মই নিজৰ সকলো দুখ-বেজাৰ খন্তেকলৈ পাহৰি তেওঁৰ শুশ্ৰূষাত ধৰিলোঁ।

চাওঁতে চাওঁতে আমনিলগা দীঘল দিনটো চাপ খাই আহিল। সন্ধিয়াই দেখা দিলেহি। পছিমফালে ভাগকৰা বেলি জিৰণিৰ পাটীত পৰিল। তাৰপৰা নিশ্বাসি পঠিওৱা ভাগৰৰ ৰঙা ৰহণে দশোদিশ্ ব্যাপি পেলালে। সেই ভাগৰতে মোৰ উৎসাহে ভৰ দি উঠিল। উগুল-থুগুল ভাৱে তৰা আইদেউলৈ বাট চালোঁ। কিমান বাৰ ওলাই ওলাই চাইছোঁ! পদূলিমূৰলৈকে একোবাৰ আগবাঢ়ি চাই আহোঁগৈ। নাই, তৰা আইদেউ ওলোৱাহি নাই। মনত নানা ভাৱে উগুল-থুগুল লগাবলৈ ধৰিলে। ভাবিবৰো সময় নাই। আকৌ বাটলৈ ওলাই চাবলৈ ধৰিলোঁ।

তথাপি তৰা আইদেউ নাই! কেতিয়াকৈ নো ওলাবহি, ইমান পৰ নো কি কৰিছে, এনে ভাবে মনত বিৰক্তি-বিষ তুলিছে। দিনটো বাট চাই যিমান আমনি পোৱা নাছিলোঁ, সেই খন্তেক বাটলৈ চাই তাতকৈ হেজাৰ গুণে অধিক আমনি লাগিল। নাই, সিমানতো অহা নাই! মনত নানা আশঙ্কা উঠিবলৈ ধৰিলে। একোবাৰ ভাবিলোঁ, ময়ে আগবাঢি যাম নেকি? এই ভাবি এখুজি-দুখুজিকৈ গৈ আছোঁ, এনেতে দেখিলোঁ সিফালৰপৰা কাঞ্চন সখীৰে সৈতে তৰা আইদেউ আহিব লাগিছে।

আগে-পিচে দুটা লগুৱাৰে সৈতে তৰা আইদেউ আগত, মই মাজত আৰু কাঞ্চন সখী পিচত হৈ তিনিও যাবলৈ ধৰিলোঁ। বন্দীশালৰ দুৱাৰমুখ পাই, পোনেই চাওদাং বৰুৱাৰ খবৰ লোৱা হল। বৰুৱা আঁতৰত আছিল। প্ৰহৰীয়ে কাঞ্চন সখীৰ হাতৰপৰা ৰজাৰ অনুমতি-পত্ৰ নি তেওঁক সেই ঠাইতে দিলেগৈ। আমি নিলগৰপৰা শুনিলোঁ, তেওঁ প্ৰহৰীক আদেশ দিছে, "ৰজাৰ ভনীয়েক তৰা আইদেউ বন্দীশাল চাবলৈ আহিছে। দুৱৰীক কৈ দেগৈ দুৱাৰ এৰি দিয়ক।" প্ৰহৰীয়ে কোৱা মতে দুৱৰীয়ে বাট এৰি দিলে। আমি তিনিও ভিতৰ সোমালোঁ। আমাৰ লগতে এটা প্ৰহৰীও সোমাবলৈ ওলাইছিল ; কাঞ্চন সখীয়ে তাক মানা কৰি দি কলে, "আইদেউৰ আজ্ঞা, লগত কোনো আহিব নালাগে।" লগুৱা দুটাও বাজতে ৰল। আমি এটা এটাকৈ বন্দী-কোঠাবোৰ চাই গৈছোঁ। কোনোটোত দুটীয়া, কোনোটোত তিনটীয়া আৰু কোনোটোত চাইটীয়াকৈও বন্দী আটক হৈ আছে। কোনোৱে মূৰে-কপালে হাত দি গুণিছে, কোনোৱে চকু-লো টুকিছে, কোনোৱে ভাগ্যক দোষ দি কপালত ভুকুৱাইছে, কোনোৱে নিৰবে ঈশ্বৰক চিন্তা কৰিছে। সেইবিলাকৰ মাজত ক'তো গোহাঞিদেৱক দেখা নাপালোঁ। আৰু কেইবাটাও কোঠা জুমি জুমি চালোঁ, গোহাঞিদেৱ নাই! আমি চাবলৈ আৰু তিনটা কোঠা হে আছে গৈ। গোহাঞিদেৱ নাই! আমাৰ মুখ শুকাই আহিল। তিনিও আশঙ্কাত চোৱা-চুই কৰিলোঁ। তিনিও তিনিৰ মনোভাব বুজিলোঁ। আকৌ চালোঁ। নাই! আৰু এটা কোঠা মাথোন আছেগৈ। ভয়ে-ভয়ে সেইটোৰো দুৱাৰ মেলা হল। খোটালীটো ঘোপ্‌মৰা আন্ধাৰ। আমি পোহৰৰপৰা ভিতৰলৈ একো দেখা নাই। কিন্তু, আন্ধাৰৰপৰা গোহাঞিদেৱে আমাক দেখিলে। দেখি, তেওঁ তিনিওকো চিনিলে। মোক দেখি তেওঁ বিশেষকৈ আচৰিত হল। তাতোকৈ তেওঁ আশঙ্কিত হোৱা যেন হে পালোঁ। আমি জোমাজুমি কৰি আছোঁ, এনেতে তেওঁ আতুৰভাৱে মাত দিলে, "অহ, ভানু, তুমি কিয় আহিলাঁ।" গোহাঞিদেৱৰ মাত শুনি আন্ধাৰলৈকে জঁপ দিলোঁ। ক'তো একোতে ধৰিবলৈ নাপাই, পকী বাৰত খুন্দা খাই মই উফৰি পৰিলোঁ। গোহাঞিদেৱে "দেহিঐ, কি সৰ্ব্বনাশ হল" বুলি ততালিকে মোক দাঙ্গি ধৰিলেহি। আৰু, কাঞ্চন সখীয়ে লৰালৰিকৈ খিৰিকী-দুৱাৰখন মেলি দিয়াত ভিতৰলৈ পোহৰ পৰিল। মই গোহাঞিদেৱৰ কোলাত! তৰা আইদেউ আৰু কাঞ্চন সখী দুৱাৰমুখতে থিয় দি ৰল। মই খন্তেকলৈ মোৰ প্ৰাণেশ্বৰৰ কোলাত জিৰণি ললোঁ! খুন্দাত বৰ দুখ পাইছিলোঁ, মূৰ জিন্‌জিনাবলৈ ধৰিলে। কিন্তু, সখীহঁতে চাপিবলৈ বেয়া পাইছে জানি, মই বগুৱা বাই গোহাঞিদেৱৰ কোলাৰপৰা নামি মাটিত বহিলোঁ হি। সখীহঁত সোমাই গল। পিচে, কাঞ্চন সখীয়ে কলে যে, কোঠাৰপৰা ওলাই আহিলে হে কথা পাতিবলৈ চল লাগিব। তেওঁৰ কথা শুনি গোহাঞিদেৱে উত্তৰ দিলে, "বাৰু, তোমালোক ওলাই বহাঁ আৰু কিয় আহিছিলাঁ কোৱাঁ। মই বন্দী। ৰখীয়াৰ বিনা-অনুমতিৰে এই কোঠাৰ দুৱাৰদলি পাৰ নহওঁ।" কাঞ্চন সখী অবাক্! তৰা আইদেৱে মাত লগালে, "তেনে হলে তো আমি অহাই মিছা হল। অতনা যতন আমাৰ এনেই গল!"

গোহাঞিদেৱ।—কিয়?

কাঞ্চন।—কিয়, জানিবই লাগেচোন।

তৰা।—আমি আপোনাক ইয়াৰপৰা উদ্ধাৰ কৰি নিবলৈ হে আহিছোঁ।

গোহাঞিদেৱ। ৰাজ-অনুমতি পাইছা জানো?

মই।—হয়, পাইছে। ৰজাৰ অনুমতি লৈ হে আইদেউ সখী ইয়ালৈ আহিছে।

গোহাঞিদেৱ।—ই কি কথা! উদ্ধাৰৰ হুকুম তৰা

আইদেউৰ হাতে হে-আহিব লাগে নে? আৰু, এনে অসময়ত?

কাঞ্চন।—মুক্তিৰ আদেশ নহয়। প্ৰৱেশৰ অনুমতি হে পোৱা হৈছিল।

গোহাঞিদেৱ।—বাৰু, তাকে কোৱাঁহক। পিচে?

মই।—পিচে, এতিয়া আমাৰ লগতে ওলাই যাব লাগে। বাহিৰ ওলালে এফলীয়া হবলৈ উপায় হব।

গোহাঞিদেৱ।—পলাই যাম? তুমিও এনে কথা কোৱাঁ নে ভানু!

তিনিও ওপৰা-উপৰিকৈ বুজালোঁ। মই কিমান তুতি-মিনতি কৰিলোঁ। কিমান কাবৌ কৰিলোঁ। কিমান শপত দিলোঁ। একোতে গোহাঞিদেৱ নটলিল। তেওঁ নপলায়। তেওঁ জীৱন্তে পলৰীয়া নাম নলয়। অন্তত মই কান্দি ব্যাকুল হলোঁ। গোহাঞিদেৱে বুজাবলৈ ধৰিলে। আৰু, তেওঁৰ পবিত্ৰ প্ৰেমৰ চিন্ স্বৰূপ, দুই সখীক সাক্ষী কৰি, তেওঁ নিজৰ আঙুলিৰপৰা আঙঠিটি সোলোকাই মোৰ আঙুলিত পিন্ধাই দিলে। তৰা আইদেউ সখীয়েও ততালিকে মোৰ আঙুলিত থকা আঙঠিটো সোলোকাই নি গোহাঞি-দেৱৰ আঙুলিত পিন্ধাই দিলে। তাৰ পাচত, গোহাঞিদেৱে কলে, "আজি মোৰ জীৱনৰ শেষ কাম সমাধা হল, এতিয়া তোমালোকৰ ওচৰত বিদায় হে মাগিলোঁ।" এই বুলি তেওঁ আমাক ওলাই আহিবৰ কাৰণে বৰকৈ ধৰিলে। অন্তত, ইমানকৈ কলেগৈ, "মোক এফেৰিমানো শান্তি দিবলৈ চোৱাঁ যদি, তোমালোকে মোৰপৰা বিদায় লোৱাঁ হক।" তৰা আইদেউ আৰু কাঞ্চনসখীয়ে মোক ধৰি ধৰি উলিয়াই আনিলে। গোহাঞিদেৱ অচল-অটল হৈ তাতে ৰল।

ত্ৰয়োদশ আধ্যা
গছ পৰিল

মই ধৰা পৰি উলটি আহি দেউতাক যেনে হত দেখি-ছিলোঁ, তাতোকৈ তেওঁ দিনক-দিনে হত হৈ যাবলৈ ধৰিলে। হেৰোৱা ধন পোৱাৰ দৰে মোক উলটি পোৱাতো দেউতাৰ মনলৈ সুখ-শান্তি নাহিল। তেওঁ আগতকৈও দিনক-দিনে বেচি চিন্তাযুত হবলৈ ধৰিলে। আৰু, তাৰ পৰিণামত তেওঁ দিনক-দিনে শুকাই-ক্ষীণাই আহিল। তাৰ পাচত, গোহাঞি-দেৱক বন্দীশাললৈ নিয়াৰপৰা দেউতা একেবাৰে জঁয় পৰিল। তেওঁৰ খোৱাত ৰুচি নাইকিয়া হল, বহাত শান্তি নোপোৱা হল, শোৱাত টোপনি নহা হল। এইদৰে দেউতা একেবাৰে হত হৈ পৰিল। আৰু, কেইদিনমানৰপৰা তেওঁ নৰীয়া-পাটী এৰিব নোৱাৰা হল।

দেউতা নৰিয়াত পৰিবৰপৰা ভাঙৰীয়া-বিষয়াসকল আমাৰ ঘৰলৈ অহা ঘন হবলৈ ধৰিলে। কিন্তু, সিবিলাক আহে নৰীয়া চাবলৈ, দেউতাই উলিয়ায় গোহাঞিদেৱৰ কথা। বিষয়াসকলে নানা তৰহে বুজনি দিও তেওঁক শান্ত কৰিব নোৱাৰে। তেওঁৰ মুখত কেৱল ৰজাই গোহাঞি-দেৱৰ প্ৰতি অবিচাৰ কৰাৰ কথা হে। গোহাঞিদেৱৰ মুক্তিৰ আশা দেখিলেই তেওঁৰ মুখত অলপ আনন্দৰ চিন্ বিৰিঙে; আৰু তেওঁৰ অন্তিম অৱস্থাৰ কথা ভাবিলেই আকৌ অস্থিৰ হৈ পৰে। বিষয়াসকলে বুজিলে যে, গোহাঞিদেৱৰ উদ্ধাৰৰ আলোচনাত বাজে আন একোৱে ৰোগীৰ মনত শান্তি দিব নোৱাৰে। সেই কাৰণে, পাচলৈ সিবিলাকে নৰীয়া চাবলৈ আহি সদায় গোহাঞিদেৱৰ উদ্ধাৰৰ অৰ্থে আলচ পতা হল। আৰু, এইদৰেই কেই-দিনমান গল। তাৰ পাচত, এই কথা ৰজাৰ কাণত পৰিলগৈ। আৰু, এই আলোচনাই ৰাজদ্ৰোহীৰ ষড়যন্ত্ৰৰ হে নাম পালে। তাৰ ফল স্বৰূপ, এদিন ৰজাৰ আদেশ হল যে, মৰাণ-গোহাঞিৰকৰাৰ ঘৰলৈ কোনো বিষয়া বা ভাঙৰীয়া যাব নোৱাৰে। আৰু, ৰজাৰ বিপক্ষে মন্ত্ৰণা কৰা আপাহত কেইজনমান বিষয়াৰ গুৰুতৰ দণ্ড হবলৈকো বাকী নাথাকিল।

বিষয়াসকল আহিবলৈ বন্ধ হোৱাত, মোৰো সান্ত্বনাৰ এপালি ঔষধ অস্ত পৰিল। পাচলৈ, গোহাঞিদেৱৰ উদ্ধাৰৰ অৰ্থে কোনো উপায় আলোচনা নোহোৱা দেখি মোৰ মন-প্ৰাণ অস্থিৰ হবলৈ ধৰিলে। গোহাঞিদেৱৰ কথা নোলোৱা ঠাইত মোৰ শান্তি নোহোৱা হল। ভালেই হওক বা বেয়াই হওক, যেয়ে যিহকে গোহাঞিদেৱৰ কথা উলিয়ায়,

তাতে মোৰ মন-প্ৰাণ থন্তেকলৈ লাগি যায়। আৰু, পাচলৈ যাৰে-তাৰে আগত গোহাঞিদেৱৰ কথা মই উপ্‌যাচি উলিওৱা হলোঁ। আন কি, দেউতাৰে সৈতেও মই গোহাঞি-দেৱৰ বিষয়ে কথা পতা হলোঁ। আৰু, এই কথাত দেউতা আৰু মই দুয়ো সমানে তৃপ্তি পোৱা হলোঁ। কিন্তু, বাহিৰৰ ৰাতৰি নহলে, মনৰ কথা মনতে পতাৰ নিচিনাকৈ, দেউতা আৰু মোৰ ভিতৰত হোৱা কথাই আমাক শান্তি দিব নোৱাৰাত পৰিল। গতিকে, তৰা আইদেউ সখীৰ সহায় মোক ঘনাই লগা হল।

সেই দিনা গোহাঞিদেৱক বন্দীশালত এৰি অহাৰ পাচৰপৰা তৰা আইদেউৰে সৈতে মোৰ কিমানবাৰ দেখা-সাক্ষাৎ হৈছে, মই তাৰ লেখ দিব নোৱাৰোঁ। তথাপি, মনত তেওঁৰ লগৰ অভাৱ মুগুচা হল। তেওঁ নিজেই কমকৈও দিনটোত আমাৰ ঘৰলৈ তিনিবাৰতকৈও বেচি-কৈহে আহে। কিন্তু, সেই অহাই মোৰ অভাৱ গুচাব নোৱাৰে; মই তাৰ উপৰিও দুই-তিনিবাৰকৈ চাকুলী বাইক পঠিয়াই তেওঁক মতাই আনোঁ। মতাই আনি কথা পাতোঁ। কথা পাতোঁ, কিন্তু পাগুলা ঘাঁহকে পাগুলাৰ দৰে একে কথাকে পাতোঁ আৰু ভাঙোঁ। একে কথাকে পাতোঁ, কিন্তু তাত নতুন নতুন ৰস পাওঁ। একেটা কথাকে ঘূৰাই-পকাই পাতোঁ, কিন্তু তাৰ অন্ত নাপাওঁ। কিন্তু, পাচলৈ তৰা আইদেৱো মোৰ মনৰ জোখাই ঘনাই আহিব নোৱাৰা যেন দেখিলোঁগৈ। সেই কাৰণে, তেওঁ অহাৰ উপৰিও, মই তেওঁ-বিলাকৰ ঘৰলৈ দিনে তিনি-চাৰিবাৰকৈ যোৱা হলোঁ।

মই তৰা আইদেউৰ ওচৰলৈ যোৱা-অহা কৰাৰপৰা কোনোবা পিনে কিবা এফেৰি গুণ ধৰা যেন দেখা গল। ৰজাই হেনো ৰাজমাওৰ টোললৈ মোক যোৱা-অহা কৰা দেখি কোনোবা বিষয়াৰ আগত সন্তোষ প্ৰকাশ কৰিছিল। এই কথা শুনি, কাঞ্চন সখীয়ে ভালৰ লক্ষণ বুলি কোৱা শুনিলোঁ। শুনি, আমি দুয়ো তেওঁত সুধিলোঁ, কি নো ভালৰ লক্ষণ তেওঁ দেখিলে। কাঞ্চন সখীয়ে কলে, "ৰজাৰ মন ভাল হলে তেওঁক ঘূৰাবলৈ চল লাগিব! বিশেষ, ৰাজমাওৰ হতুৱাই এই ফেৰা কাম সধাবলৈ সুবিধা দেখিছোঁ। ৰাজমাৱে টানি ধৰিলে কিজানি ৰজাই গোহাঞিদেৱক মুক্তি দিবলৈ মান্তি হব পাৰে।" সখীৰ কথা মনত লাগিল; আৰু তেওঁৰ যুক্তি মতেই কথাটো ৰাজ-মাওক জনাবলৈ স্থিৰ কৰা হল। আৰু, পিচদিনাই তিনিও ৰাজমাওৰ ওচৰ চাপিলোঁগৈ। কথাটো পোনেই কাঞ্চন সখীয়ে উলিয়ালে। তাৰ পাচত, তৰা আইদেৱে কান্দি কান্দি কবলৈ ধৰিলে, "আইতা তুমি যদি ককাইদেৱক কৈ-মেলি গোহাঞিদেৱক মুক্তি দিয়াব পাৰা, তেনেহলে তুমি মোক আৰু ভানু সখীক যেন জীৱদান হে দিলা।" তেওঁৰ লগতে ময়ো হেঁচা দি কলোঁ যে, ৰাজমাৱে নিৰ্দ্দোষী গোহাঞিদেৱৰ প্ৰাণ ৰক্ষা কৰি ৰজাৰ ধৰ্ম্ম ৰক্ষা কৰিব লাগে। ৰাজমাৱে আমি কোৱা কথা টিলিকিত উৰাই দিয়াৰ নিচিনাকৈ হাঁহি মাৰি কলে, "কিনো বৰ কথাটো, তাতে প্ৰাণ দান দিয়া হয় আৰু ৰাজধৰ্ম্ম ৰক্ষা কৰা হয়! বাৰু, তইত থাক, কাইলৈ মই লৰাক বুজাই-মেলি এটা কৰিম।" ৰাজমাওৰ কথাত আমি তিনিও আশ্বাস পালোঁ। তিনিও মনৰ আনন্দেৰে ঘৰাঘৰি গলোঁ।

মনৰ আনন্দত ৰাজমাওৰ টোলৰপৰা আহিলোঁ। কিন্তু, অন্তৰত উগুল-থুগুল ভাবে উৎপাত লগাবলৈ ধৰিলে। অন্তৰত আশা আৰু হতাশৰ খুন্দীয়া-খুন্দিয়ে মোক অস্থিৰ কৰি পেলালে। সেইদিনা ৰাতি মোৰ চকুত টোপনি নাই। কেতিয়াকৈ ৰাজমাৱে কোৱা 'কাইলৈ' আহি যাব, কেতিয়াকৈ আমি শুভ বতৰা পাবলৈ পণ্ড আহিব, তাকে ভাবি থাকোতেই ৰাতি পুৱাল। ৰাতি পুৱাল, দুখৰ ৰাতি পাৰ হল। কিন্তু, আকৌ দীঘল দিনটোৱে আগত দীঘল দিলে। ৰাতিপুৱাটো চাওঁতে দীঘল হৈ হৈ যায়, দুপৰীয়া নপৰেহি যেন লাগিল। দুপৰীয়া আহিলত আকৌ আবেলিলৈ ভাবনা হল। আমনি লাগি যোৱা দুপৰীয়াটো পাৰ হৈ যোৱাত, বাটচাই থকা আবেলি আৰু সন্ধিয়া পালেহি। কিন্তু, আনকাল সন্ধিয়া যিমান বেগাই ৰাতিত মাৰ যায়, আজি সি সেইদৰে যাব পৰা নাই। আগৰ দুখৰ ৰাতিকে আকৌ সুখৰ বুলি মাতিব লগা হল। তথাপি, সি পাৰ হৈ যাওকহি। তথাপি, কোনোমতে 'পণ্ড' পাওকহি। কেতিয়া কিমান পৰ হল কব নোৱাৰোঁ। দেউতাক ঔষধ-পাতি খুৱাই

অলপ আহাৰ দিলোঁ। ইমানলৈকে ৰাতিৰ আগছোৱা পাৰ হল, বাকী ছোৱাও বহিয়েই পাৰ কৰিলোঁ। একেৰাহে দুটা ৰাতি চকুৰ টিপ্ নমৰাকৈয়ে পাৰ হল। পিচদিনা বেলি এপৰমান উঠোঁতেই ৰাজমাওৰ টোল পালোঁগৈ। দেখিলোঁ, কাঞ্চন সখীৰে সৈতে তৰা আইদেউ ৰাজমাওৰ কাষতে বিমৰ্ষভাৱে বহি আছে। মোক ওচৰত থিয় হোৱা দেখি তেওঁ দীঘলকৈ এটা হুমুনিয়াহ পেলালে; আৰু ৰাজমাৱে তললৈ মূৰ কৰিলে। মই দেখিয়েই বুজিলোঁ, কথা বিষম। তথাপি, মনে নপতিয়ালে। ৰাজমাওত সুধিলোঁ, বাতৰি কি। তেওঁ অতি কাতৰ হৈ কলে যে, সকলো মিছা হল, তেওঁ বহু যত্ন কৰিও ৰজাৰ মন কোমলাব নোৱাৰিলে। মই শুনিয়েই হতাশাৰ খুন্দাত লুটিখাই পৰিলোঁ।

ৰাজমাওৰপৰা যি আশা কৰিছিলোঁ, সেই আশা ছিগিল। লগে লগে মোৰো জীৱনী-শক্তিৰ ধাৰ ছিগিল যেন লাগিল। তথাপি, তৰা আইদেউৰ ওপৰত অলপ ভৰসা থাকিল। তৰা আইদেৱে লাগি-ভাগি জানোচা আৰু কিবা উপায় উলিয়াব পাৰেই। সেই আশাতে আকৌ ভিৰ দি ৰলোঁ। এইফেৰি আশাতে মোৰ জীৱনৰ সকলো শক্তিয়ে ভেজনি দি ৰল। কিন্তু কি হব, তাৰো অন্ত নাপাওঁ। তৰা আইদেৱে যত্নৰ ত্ৰুটী কৰা নাই, কিন্তু তাৰ একো গুণ ধৰা নাই। পাচলৈ তেৰোঁ যত্নৰ মোৰ নোপোৱাত পৰিল। কেতিয়াবা বিবুদ্ধি হৈ তেওঁ মোক হে উলটি উপায় সোধাত পৰিল। তাৰ পাচত, আমি দুইৰো আশ্ৰয় কেৱল কাঞ্চন সখী হে ৰলগৈ। তেওঁৰ বুজনিয়েই আমাৰ জীৱনী হল।

এইদৰেই কেইদিন গল কব নোৱাৰোঁ। ইফালে গোহাঞিদেৱক বিচাৰ-চ'ৰালৈ অনাৰ বিষয় লৈ ধুমধাম্ লাগি উঠিল। ৰাজমাৱে ৰজাৰ মন কোমলাবলৈ যত্ন কৰোঁতে তাৰ ৰিপৰীত ফল ধৰিলে। ৰজাই কি ভাবি কিছুমান দিন নিটাল মাৰি বৈছিল কব নোৱাৰো, কিন্তু ৰাজমাৱে গোহাঞিদেৱৰ মুক্তিৰ চেষ্টা কৰা দেখি তেওঁ দুগুণে জ্বলি উঠিল, বিচাৰৰ দিন যিমান পাৰে তেওঁ চমুচপাই আনিলে। আগেয়ে শুনিছিলোঁ, বিচাৰৰ দিন আৰু এমাহলৈ দীঘলাব বুলি, কিন্তু এতিয়া হঠাতে চমু চপাই ধৰা হল। সাত দিনৰ ভিতৰত গোহাঞিদেৱৰ বিচাৰ শেষ কৰাটো স্থিৰ হল। চাৰিওফালে এই কথা ৰাষ্ট্ৰ হৈ পৰিল। ঘৰে ঘৰে এই কথা। বাটে-ঘাটে এই কথা। মতাৰ মেলত এই কথা। তিৰোতাৰ মেলত এই কথা। ল'ৰাৰ মুখতো এই কথাই হল। সকলোৱে গোহাঞিদেৱৰ হস্তে আক্ষেপ কৰিবলৈ ধৰিলে। সকলোৱে ৰজাৰ অবিচাৰৰ কথা মুখে মুখে কবলৈ ধৰিলে। সকলোৱে গোহাঞিদেৱৰ নিৰ্ম্মল চৰিত্ৰ বখানিবলৈ ধৰিলে। ডাঙৰীয়া-বিষয়া সকলোৱে এই কথা লৈ গুপ্ত মন্ত্ৰণা কৰিবলৈ ধৰিলে। আৰু, কোনো কোনো বিষয়াই মৰণত শৰণ দি এই বিষয়ে ৰজাক পুনঃ বুজনি দিবলৈকে বাকী নাৰাখিলে। কিন্তু, এইবোৰ কাৰবাৰ যিমানেই বাঢ়ি আহিল, পাপমতি ৰজাৰ পাপ ইচ্ছা সিমানেই বলৱতী হৈ উঠিল; তেওঁ যিমান সোনকালে পাৰে গোহাঞিদেৱৰ পৱিত্ৰ জীৱনৰ অন্ত পেলাবলৈ উলাহেৰে আগ বাঢ়িল।

পাচত, দিন দিয়া সাত দিনৰ অন্ত পৰিবলৈকে নাপালে। মাজতে এদিন ঘুণুক-ঘানাককৈ শুনা গল, আজি গোহাঞিদেৱক বিচাৰ-চ'ৰালৈ অনা হব। খন্তেকৰ ভিতৰতে এই বাতৰি চাৰিওফালে বিয়পি গল। চাৰিও ফালৰপৰা মানুহ বিচাৰ-চ'ৰালৈ লৰিবলৈ ধৰিলে। হাটৰুৱা, বাট-ৰুৱাই নিজৰ উদ্দেশ্য পাহৰি বিচাৰ-চ'ৰাত থিত হলগৈ। বনুৱাই বন পেলাই বিচাৰ-চ'ৰা পালেগৈ। ল'ৰাই ধেমালি এৰি বিচাৰ-চ'ৰাত ভুমুকি মাৰিলেগৈ। কাষত পানীৰ কলহেৰে বোৱাৰী-জীয়াৰী বিচাৰ-চ'ৰাৰ পদূলিত শাৰী পাতিলেগৈ। চাৰিও ফালৰপৰা চাপ খোৱা মানুহবিলাকৰ ভিতৰত আতুৰভাৱে আক্ষেপ প্ৰকাশৰ গুণগুণনি লগলাগি কি যে এটা ভয়-লগা আৰু হিয়াবিদৰোৱা ভাব বিয়পাই দিলে! এই ভাব অনুভৱত হে ধৰিব পাৰি, ইয়াক কথাৰে ধৰা টান। সেই সময়তে ময়ো ঘূৰিছিলোঁ হবলা। তৰা আইদেউকো দেখিছিলোঁ যেন মনত পৰে। কিন্তু, আমি যেনিয়ে যাওঁ, তেনিয়ে বাধা পাওঁ। কোনে জানো, ভাগ্যকে মনত নপৰে, আমাক বিচাৰ-চ'ৰালৈ সোমাব নিদি আঁতৰাই আনে। তৰা আইদেৱে একোবাৰ একোটা আতুৰ ভাৱৰ

চিয়ঁৰ মৰা যেন শুনোঁ। সেই চিয়ৰত ৰাজসভা চমকি উঠা যেন দেখি যাওঁ। আৰু, তেতিয়াই আইদেউক আঁতৰাই নিবলৈ ৰজাৰ টান হুকুম পৰে। এইদৰেই কিমানপৰ হল কব নোৱাৰোঁ, গোহাঞিদেৱক ৰজাৰ আগত নি থিয় কৰোৱা হল। ৰজাৰ আদেশ মতে ন্যায়সোধা ফুকনে বিচাৰ আগত ললে। বিচাৰ কি হল কব নোৱাৰোঁ, গোহাঞিদেৱক কি সুধিলে শুনিও নুশুনিলোঁ, তেওঁ কি উত্তৰ দিলে সিও মনত নাই ; নিলগৰপৰা দেখা মনত পৰে যে, সাগৰৰ নিচিনা গহীন প্ৰকৃতিৰ গোহাঞিদেৱে অচল-অটল পৰ্ব্বতৰ দৰে ৰজাৰ আগত মূৰ্ত্তিমান পুৰুষৰ শক্তিৰে থিয় দি আছিল। খন্তেকৰ নিমিত্তে সকলো জ'য় পৰিল। গোহাঞিদেৱৰ হাঁহিমুখীয়া দেৱমূৰ্ত্তি জিলিকি উঠিল।

চ'ৰাত সেই দিনা ডাঙৰীয়া-বিষয়াও সকলোটি উপস্থিত নাছিল। দেউতা ভালেমান দিনৰপৰা নৰিয়াত পৰিয়েই আছিল। নামমাত্ৰ বিচাৰ হল। ৰজা নিজেঁ শুচৰীয়া ; মাতিব পৰা বিষয়া কোনো ওচৰত নাছিল। গতিকে, ঘোৰ অন্যায়-অবিচাৰত গোহাঞিদেৱৰ প্ৰাণদণ্ডৰ আজ্ঞা হল! তত্তালিকে সেই হিয়াবিদাৰোৱা বাতৰি চাৰিওফালে ৰাষ্ট্ৰ হৈ পৰিল। সকলোৱে শুনি হাঁয় হাঁয় কৰিবলৈ ধৰিলে। ময়ো শুনিলোঁ। শুনি, গছ পৰাৰ সিদ্ধান্তত লতাও লগতে পৰাৰ সিদ্ধান্ত মানিলোঁ।

চতুৰ্দশ আধ্যা

সামৰণ

নীলা আকাশত আমৰলীয়া পাখিৰে কুমলীয়া মেঘ কেচপৰামান উলাহত উটি ফুৰিছিল। নিঠুৰ বেলিয়ে তাকে সহিব নোৱাৰিলে। পুৱাতে চেংচেঙীয়া ৰ'দে পাই তাক আহৰি কৰিলে! আকাশৰ মেঘ আকাশতে লয় পালে! তাৰ পাচত, মূৰৰ ওপৰলৈ উঠি সূৰ্য্যদেৱতা জুই যেন হৈ জ্বলি উঠিল। পৃথিৱীৰ জীৱ-জন্তু, গছ-লতাৰ ওপৰত তেওঁৰ খাওঁ-খাওঁ মূৰ্ত্তি হল। ভিতৰৰপৰা বাহিৰলৈ ওলাবৰ সাহ নোহোৱাত পৰিল। পথাৰৰ অলপ-পানীৰ মাছে তাপত তৰণি নাপাই খলক লগাবলৈ ধৰিছে। মানুহ-পশু, চৰাই-চিৰিকতি সকলো ৰ'দত চট্ফটাবলৈ ধৰিছে! এনে ভয়ানক সময়ত, এনে আপদৰ কালত, আজি জেৰেঙা পথাৰত কাৰ বিয়া? কোন গাঁৱৰ বিহু-হাট আহি বহিছেহি? আজি জেৰেঙা পথাৰত মানুহৰ মাজত বিৰ দি বাট পাব নোৱাৰা হৈছে। কিন্তু হাঁয়, লিখকৰ ভ্ৰম, লিখনীৰ ভুল,—ই বিয়া নহয়, বিহু-হাটো বহা নাই। আজি জেৰেঙাত নৰবলি পৰিছে। আজি মহা প্ৰতাপী স্বৰ্গীয় ঘাইমন্ত্ৰী বৰগোহাঞি ডাঙৰীয়াৰ বংশধৰ, মৰাণ-গোহাঞিবৰুৱাৰ বংশজ ভানু-লতাৰ জীৱন-বৃক্ষ, অসমীয়া প্ৰজাৰ আদৰৰ মাণিক শ্ৰীমান্ চাৰুচন্দ্ৰ বৰগোহাঞিদেৱ বলি পৰিছে!

অন্তিম কাল উপস্থিত! চাৰু গোহাঞিদেৱক ৰাইজৰ আগলৈ উলিওৱা হল। সকলোৱে এবাৰ হেঁপাহ পলুৱাই চাবলৈ ধৰিলে। এনে আপদৰ কালতো, জীৱনৰ অন্তিম সময়তো গোহাঞিদেৱৰ সৰিয়হৰ ফুল যেন প্ৰফুল্ল মুখখনিত বিষাদৰ ৰেখ এটিও নাই। তেওঁ অতি গম্ভীৰভাৱে ৰাইজলৈ সাদৰ-সম্ভাষণ জনাই কবলৈ ধৰিলে, "শুনা ৰাইজ! মোকে বোলে ঘাট-মউৰা। তথাপি, এই পৃথিৱীত মোৰ বুলি এৰি যাবলৈ এটি মাথোন প্ৰাণী থাকিল, তেওঁ মোৰ প্ৰাণেশ্বৰী ভানুমতী। মৰণ চাপিছে বুলি তাত মোৰ অকণো বেজাৰ নাই। জন্ম হলেই অৱশ্যে এদিন মৃত্যু আছে। এই ঘৰৰ ভিতৰত নৰিয়া পৰি, কিম্বা হিংস্ৰ জন্তুৰ মুখত পৰি নিজানত নুমাব লগা নহল, মোৰ দেহান্তৰ হোৱা আজি অত ৰাইজে দেখিব, ই মোৰ বৰ ভাগ্যৰ ফল। কিন্তু, মোৰ দেহান্তৰ ঘটাৰ পূৰ্ব্বে মোৰ দু-আষাৰ শেষ কথা কৈ যাওঁ। মই কোনো অপৰাধৰ অপৰাধী নহওঁ। ৰজাৰ বিচাৰ সম্পূৰ্ণ অন্যায়। কিন্তু আৰ্জ্জিলে ফল ভুঞ্জিব লাগে। এই কথা সকলোৱে মনত ৰাখিবাঁহক। এতিয়া সকলোৰে ওচৰত বিদায় হে মাগিলোঁ।" এই কেইআষাৰ হিয়াত লাগি যোৱা কথা কৈ তেওঁ চাওদাঙৰ ফালে ঘূৰিল। চাওদাঙে নিয়ম লগাই বলিশালত ঠিক কৰি লবলৈ ধৰিছে। এনেতে, চাৰিওফালে অন্যায় অবিচাৰ

অধৰম ইত্যাদি আৰ্ত্তৰাৱ গগন ভেদি উঠিল। হঠাৎ প্ৰকৃতিয়ে ভীষণ মূৰ্ত্তি ধৰিবৰ উপক্ৰম কৰিলে। আকাশত এচুকেদি এচকলা মেঘ অকলৈ আছিল। তাৰেপৰা গিৰ্‌গিৰ্‌কৈ গাজনি উঠিল। গছৰ ডাল এৰি চৰাইবোৰে ৰমলিয়াবলৈ ধৰিলে। নিমিষতে অকস্মাৎ ভয়ঙ্কৰ ধুমুহা আহিল। ক'লা ডাৱৰে আকাশ ঢাকি পেলালে। ধাৰাসাৰে মেঘে বৰষিবলৈ ধৰিলে। ঘনে ঘনে কাণ-টাল-মৰা ঢেৰেকনিত মানুহ আছাৰখাই পৰিবলৈ ধৰিলে! স্বাভাৱিক অমঙ্গলৰ চিন্ এটা বিৰিঙ্গি উঠিল! চাওদাঙ্গৰ হাতৰ পৰা বলিকটা-দা খহি সৰিল! এনেতে, হঠাৎ স্বৰগ পৰি চাৰু গোহাঞিদেৱ থিয়ৈ থিয়ৈ স্বৰ্গী হল! তুলসীৰ লগত কল পটুৱাৰ মুক্তিৰ দৰে চাওদাং দুটাৰো গোহাঞিদেৱৰ লগতে পবিত্ৰ মৰণ মিলিল। উপস্থিত জনমণ্ডলীয়ে জয়-ধ্বনিৰে গগন ফালি দিলে। এনেতে, ভানু সখীৰে সৈতে ইফালে তৰা আইদেউ বাউলী হৈ উৰি আহিছে। দুয়ো মানুহৰ ওপৰেদি উৰি যোৱাদি গৈ, "হাঁ, প্ৰাণনাথ!" বুলি গোহাঞিদেৱৰ জীৱহীন দেহা সাবটি ধৰিলেগৈ! মানুহে স্পৰ্শ কৰা মাত্ৰকে শৰটি কাটি হৈ মাটিত পৰিল। আশ্ৰয়-হীনা লতাৰ দৰে ভানুমতী আৰু তৰা আইদেৱো লগতে লুটিখাই পৰিল! তাৰ পাচত, বহু প্ৰৱন্ধেৰে দুই কল্পিত সতিনী-সখীৰ আলিঙ্গনৰপৰা গোহাঞিদেৱৰ মৃতদেহা একৰাই নিয়া হল। প্ৰাণ কাটি নিয়া অচেতন দেহাৰ নিচিনা হৈ আইদেউহঁত তাতে পৰি ৰল!

তাৰ পাচত, ভানুৰ দশা হল কি! ভানুত আৰু ভানু নাই। ভানুৰ আকৃতি আছে, প্ৰকৃতি নাই। ভানুৰ ৰূপ আছে, গুণ নাই। ভানুৰ ভেলা আছে, জীৱনৰ বেহা নাই। চাৰু গোহাঞিদেৱ স্বৰ্গী হোৱাৰ পাচত, আজি ভানুৰ অময়া আনন্দ মিলিছে! আজি আনন্দতে ভানুৱে অকলে-অকলে হাঁহিছে! পুখুৰী পাৰত বহি ভানুৱে জাঁত-জাঁতকৈ নাম উৰুৱাইছে! মানুহ দেখিলেই তেওঁ খল্‌খলাই হাঁহি গাত ধৰিবলৈ খেদি যায়! থাকি থাকি একোবাৰ ফুলনিৰ ফালে মন কৰে; আৰু একোবাৰ লৰি গৈ আঁচল ভৰাই ফুল তুলি আনি তেওঁ হঁেপাহেৰে মালা গাঁথিবলৈ ধৰে! পুৱাৰপৰা এইদৰে আপোন-মনেৰে আনন্দ কৰি থাকোঁতেই বেলি ভাটী দিলে। সকলো ভাত-পানী খাই উঠিল। ভানুক মাতিবলৈ কাৰো সাহ যোৱা নাই। দেউতাক নৰিয়া-পাটীৰপৰা উঠিব নোৱাৰা অৱস্থাত। ভানুক আৰু পায় কোনে! ভয় আৰু ভালপোৱাৰ গুণত আগৰবাৰ ভানু অলপ সুস্থিৰ আছিল। এতিয়া তেওঁৰ সেই দুয়ো বস্তুৰ অভাৱ। অন্তৰত তাৰ এটিও নাই। চাকুলীৰ প্ৰাণে কিন্তু নসহে। তাই আকৌ এবাৰ ওচৰ চাপিল গৈ। আৰু, ভানুৰ গাত হাত বুলাই তাই কলে, "আইদেউ! তুমি ভাত খোৱা নাই নহয়। তুমি নাই খোৱা দেখিময়ো খোৱা নাই। বেলি আবেলি হল।" চাকুলীৰ কথা শুনি, চেতন পোৱাদি পাই ভানুৱে কবলৈ ধৰিলে, "অ, গোহাঞিদেৱ আহিল? দেউতা আহিল? ময়ো গৈছোঁ, যা।" চাকুলীয়ে আকৌ কলে, "নহয়, আইদেউ, তোমাক ভাত খাবলৈ হে মাতিছোঁহি!" পিচে, ভানুৱে অলপ পৰ টলকা মাৰি থাকি কলে, "অ, ভাত? ভাত খাব লাগে? বাৰু।" এই বুলি তেওঁ আকৌ মালা গাঁথিবলৈ ধৰিলে। চাকুলী বুঢ়ী নিৰুপায় হৈ আকৌ উলটি আহিল। এইদৰে এখনমান তামোল খাবৰপৰ গুণ্‌গুণকৈ মালা গাঁথি থকাৰ পাচত, চাকুলীয়ে মতাৰ কথা ভানুৰ মনত পৰিল। মনত পৰা মাত্ৰকে ভানু গিৰিপ্‌কৰে উঠি থিয় হল; আৰু, "অ, মই ভাত খাব লাগে, মই গা ধোৱা নাই" এই কেই আষাৰ কথাৰে ভানু পুখুৰীত জাঁপ মাৰি পৰিল! সেই যে পৰিল, ভানু আৰু নুঠিল। তিনিখনমান তামোল খোৱা পৰৰ পাচত চাকুলী আকৌ আহি চায়, ভানু নাই! ভানুক নেদেখিয়েই তাই আতুৰভাৱে এটা চিঞঁৰ মাৰি দিলে। ঘৰত হুলস্থুল লাগি পৰিল। তাৰ পাচত, ভালেমান পৰ কেইওপিনে বিচাৰি চোৱাৰ ফলত দেখা গল, পুখুৰীৰ নিজনি চেঁচা পানী বুকুত লৈ, ইমান দিনৰ দুখে-ভাগৰে ভানু চিৰ-জিৰণিত পৰিল!!

ঘৰত আৰু চুবুৰীত হাহাকাৰ লাগি উঠিল। চাকুলীয়ে বিননিত গছৰ পাত সৰাব লাগিছে। আন লিগিৰা-লিগিৰী সকলোৱে কান্দনত খলক লগাইছে। কাঞ্চনে ভানুৰ মৃতদেহাৰ ওপৰত পৰি ইনাই-বিনাই কান্দিবলৈ

ধৰিছে। চুবুৰীৰ বুঢ়া-মেথা মানুহে মূৰে-কপালে হাত দি হৰি-হৰি কৰিবলৈ ধৰিছে। বাহিৰৰ চিয়ঁৰ-বাথৰ ভিতৰত নবীয়া দেউতাকৰ কাণত পৰিলগৈ। আৰু, সেই বজ্ৰ শব্দ কাণত পৰা মাত্ৰকে গোহাঞিবৰুৱা ডাঙৰীয়া নবীয়া-পাটীতে স্বৰ্গী হল! ভালেমান পৰৰ পাচত, যেতিয়া ৰজা পৰ্য্যন্ত উপস্থিত হলহি, তেতিয়া হে তেওঁৰ বিচাৰ লোৱা হল। লৰালৰিকৈ কেইজনমান বিষয়াই ভিতৰ সোমাই চায়, মৰাণ-গোহাঞিবৰুৱা ডাঙৰীয়া ইহসংসাৰত আৰু নাই; জীৱনাধিক জীয়েকক অকলৈ পঠিয়াব নোৱাৰি, তেৰোঁ লগতে স্বৰ্গী হল! গোহাঞিবৰুৱাৰ দেহান্তৰ ঘটাত আৰু এক মহা হুলস্থূল লাগি পৰিল, ঘৰে-পৰে সকলোৱে তেওঁৰ অমায়িক গুণ বখানি বিনাবলৈ ধৰিলে। আৰু, সেই হুলস্থূলৰ ভিতৰত চাকুলী বুঢ়ী মানুহৰ মাজৰ-পৰা কেনি কলৈ গল কেৱে কব নোৱাৰে। সেই দিনাৰ-পৰা তাইক আৰু দেখা নগল!

এই হিয়াবিদৰোৱা পৰিণতি দেখি, অন্তত কঠুৱা ৰজাৰ মনতো বিষম অনুতাপ হবলৈ ধৰিলে। বিশেষকৈ, ভানুৰ অকাল-বিয়োগত ৰজাই মৰ্ম্মান্তিক বেজাৰ পালে। ইমান দিন তেওঁ ভানুৰ মোহিনী ৰূপত মুগ্ধ হৈ আছিল। ভানুৰ ৰূপত বিমোহিত হৈয়েই, তেওঁ হিতাহিত জ্ঞান হেৰুৱাই অতনা অন্যায় কাম কৰিলে। কিন্তু, সিমান কৰিও তেওঁ ভানুক লাভ কৰিব নোৱাৰিলে। ভানু আৰু নাই। যাৰ ভানু তাক পোহৰাবলৈ তাৰ লগতে সি মাৰ গল। এই কথাত ৰজাৰ মনত অনুতাপতকৈও অধিককৈ ধিক্কাৰ লাগিল। চাৰু আৰু ভানুৰ পৱিত্ৰ প্ৰেমত বিঘিনি হৈ তেওঁ এতিয়া প্ৰাণত শান্তি নোপোৱা হল। কি উপায়ে তেওঁ এতিয়াও সিবিলাকৰ প্ৰতি সজ ভাব দেখুৱাই এফেৰি শান্তি লাভ কৰিব, তাৰ উপায় চিন্তিবলৈ ধৰিলে। আৰু, তাৰে ফলস্বৰূপ ৰজাই ভানুৰ শৱটি চাৰুৰ মৈদামৰ বাবেঁ শাৰীপতাই মৈদাম দিয়ালে; আৰু তেওঁ নিজ হাতে চাৰুৰ মৈদামৰ ওপৰত এজুপি আঁহত আৰু ভানুৰ মৈদামৰ ওপৰত এজুপি জৰীগছ ৰুই তাত যত্ন-পানী দিবলৈ ধৰিলে। তাৰ পাচত, শুভদিন চাই, ৰজাই ৰাজভঁৰালৰপৰা বিস্তৰ অৰ্থ ভগন কৰি বৰ ধুমধামকৈ গছ দুজুপিৰ বিয়া পাতি, দুইৰো মাজভাগত পৱিত্ৰ লগ্নগাঁথি দি মিলন ঘটালে। কালত গছ দুজুপি একেলগ হৈ বাঢ়ি উঠি, এজুপি ৰূপহ জৰীগছ হলগৈ।

তেতিয়াৰপৰা তৰা আইদেউ ভালেমান দিন নিৰুদ্দেশ হৈ আছিল। পিচে, বছৰদহেকৰ মূৰত তপস্বিনী বেশেৰে তেওঁ এদিন নগৰ ওলালহি। আৰু, তাৰ পাচত, ভানু-চাৰু যুগল গছজুপিৰ তলতে বহি ভালেমান দিন আইদেৱে কঠোৰ তপস্যা ব্ৰত পালন কৰি আছিল! দেখি দেখি ৰজা, ডাঙৰীয়া, বিষয়া আৰু আন সকলোৰে প্ৰাণত বৰ বাথা লাগিলগৈ। তাৰ পাচত, বহু আলোচনা কৰি, কাঞ্চন সখীয়াৰ হতুৱাই আইদেউৰ মন বুজাই-বৰাই ঘূৰাবলৈ চোৱা হল। কাঞ্চনে এদিন তৰা আইদেউৰ ওচৰলৈ গৈ তেওঁক বহুপৰ বুজাইছিল; কিন্তু বিৰহিনী আইদেৱে এবাৰো এটি কথাৰেও উত্তৰ নিদিলে। তাৰ পিচদিনাৰ-পৰা তপস্বিনীক আৰু কেৱে ক'তো দেখা নোপোৱা হল!

শ্রীকৃষ্ণ

উৎসর্গ

ওঁ

৺হৰ-কৃষ্ণ

আৰাধনাৰ ফললাভ,

মোৰ

অষ্টম সন্তান,—একেটি পুত্ৰ

প্ৰাণাধিক

শ্ৰীমান্ হৰেকৃষ্ণনাথ গোহাঞিবৰুৱা

'দেউতাকণ'ৰ

শিৰত

পৰমাৰাধ্য

আউনী-আটীয় সত্ৰাধিকাৰ

শ্ৰীল শ্ৰীশ্ৰীযুক্ত হেমচন্দ্ৰ দেৱ গোস্বামী প্ৰভু

ইষ্টগুৰুদেৱদত্ত

ইপাহি

আশীষ্-নিৰ্ম্মালি

গ্ৰন্থকাৰ

পাতনি

"কৃষ্ণস্তু ভগবান স্বয়ং।" সেই ভগবান শ্ৰীকৃষ্ণক বুৰঞ্জীৰ ভেঁটিত আসন দিয়াটো এই 'শ্ৰীকৃষ্ণ'ৰ প্ৰথম উদ্দেশ্য! ভগবানৰ চৰিত্ৰ-কাহিনী নানা গ্ৰন্থত নানা অংশত নানা ভাৱে নিহিত ৰৈছে; সেই অংশৰাশি সঙ্কলিত কৰি পুঞ্জাকাৰকৈ প্ৰচাৰ কৰাটো 'শ্ৰীকৃষ্ণ'ৰ দ্বিতীয় উদ্দেশ্য। কৃষ্ণস্থিতি সম্বন্ধে আজিকালি ভাৰতীয় আৰু ইউৰোপীয় আধুনিক পণ্ডিতসকলৰ মাজত "নানা ঋষিৰ নানা মত"; পণ্ডিত মেক্সমূলাৰ প্ৰমুখ্যে জনদিয়েক পাশ্চাত্য পণ্ডিতে কৃষ্ণ-চৰিত কাল্পনিক, নাইবা অন্ততঃ আধ্যাত্মিক চিন্তাদৰ্শ বুলি হে মন্তব্য দিয়ে। বিগত সাহিত্য-ক্ষেত্ৰৰ সেই বিদগ্ধ পণ্ডিতমণ্ডলীৰ মন্তব্যৰ ওপৰত মন্তব্য দিবলৈ যোৱাটো আমাৰ পক্ষে ধৃষ্টতাৰ চিনাকি মাথোন। তথাপি, সিবিলাকৰ সমল-সঁজুলিৰে সৈতেই সিবিলাকৰ মতামতকে পোনাই লৈ, কৃষ্ণ-কাহিনী বুৰঞ্জীমূলক কৰাটো 'শ্ৰীকৃষ্ণ'ৰ তৃতীয় উদ্দেশ্য। এই তিন্‌টা মূল-উদ্দেশ্য কাৰ্য্যত কি ভাৱে ফলিয়ায়গৈ কব নোৱাৰিছোঁ এথোন; সি ভবিষ্যতৰ গৰ্ভত আৰু গুণগ্ৰাহী ৰাইজৰ বিচাৰাধীনত। পোনেই ওলাওঁতেই নিৰ্ভুল-নিৰ্দ্দোষ হোৱাটো আটাইৰে ভাগ্যত নঘটে; এতেকে পোন্-প্ৰথমবাৰত যি দায়-দোষ ধৰা পৰে, তাক 'শ্ৰীকৃষ্ণ'ৰ দ্বিতীয় তাঙ্গৰণত আনন্দেৰে সংশোধন কৰিবলৈ সংকল্প থাকিল।

পাতনি মেলিবৰ মন নাছিল। কিয়নো, ভাবিছিলোঁ, ভূমিকাৰ ভূমিতে ইও ঠাই পাব বুলি। পিছে, দৈব-দুৰ্ব্বিপাকত, সেই ভূমিকা আঁচিবলৈ যি হাতত লৈছিল, তেওঁৰ ভূমিকা আমি আঁচিব লগাত পৰিলোঁ!—তেওঁ আন নহয়, আমাৰ প্ৰিয়তম লগৰীয়া সাহিত্যিক বন্ধুপ্ৰবৰ প্ৰত্নতত্ত্ববিদ পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামী। গতিকে, 'শ্ৰীকৃষ্ণ' বিনা-ভূমিকা-সাজেৰে বাজলৈ ওলাব লগীয়াত পৰিল; তাৰ বাবে যি ত্ৰুটী ঘটে, তাক যেন ৰাইজে নিজগুণে মাৰ্জ্জনা কৰে।

'শ্ৰীকৃষ্ণ' প্ৰণয়নত পৌৰাণিক আৰু আধুনিক গ্ৰন্থাদি কিমান যে লুটিয়াব লগা হৈছিল, তাৰ লেখ দিবলৈকে টান, নাম লোৱাটো নিলগৰ কথা। গতিকে, তাৰ গ্ৰন্থকাৰ, প্ৰকাশক আৰু প্ৰবন্ধাদি লেখক সকলৰ স্বকীয়া-স্বকীয়াকৈ শলাগ লবলৈ গলে, এই ক্ষুদ্ৰ পাতনিত ঠাইৰ নাটনি পৰিব। এতেকে, মুঠতে সেই সকলোৰে ওচৰত কৃতজ্ঞতা জনাই কোৱা যায় যে, সিবিলাকৰ গ্ৰন্থাদিৰ সহায় নোপোৱা হলে, তৰপে-তৰপে ৰাশি-ৰাশি পুৰণি সাহিত্য-খনি খানি, তাৰপৰা অমূল্য তথ্যপুঞ্জ উলিয়াই লৈ, তাৰে সৈতে জগতৰ অদ্বিতীয় আদৰ্শ চৰিত্ৰ 'শ্ৰীকৃষ্ণ' আধুনিক সাহিত্য-সমলেৰে সজাই পোহৰলৈ উলিৱাৰ সম্ভাৱনা নাছিল। পৰোক্ষে, 'শ্ৰীকৃষ্ণ' হাতত নোলোৱা হলে, সেই অগণন, অভগন, অতুলন হিন্দুশাস্ত্ৰৰাশিৰ সংসৰ্গ কিঞ্চিৎমান উপভোগ কৰাৰপৰাও এই ক্ষুদ্ৰ জীৱন আজীৱন বঞ্চিত হলহেঁতেন।

সামৰণত, এখনি ভক্তিভৰা শলাগৰ শৰাই আগবঢ়াই কোৱা যায় যে, আমাৰ নিজ দীক্ষা গুৰুদেৱ পৰম পূজনীয় শ্ৰীল শ্ৰীশ্ৰীযুক্ত হেমচন্দ্ৰদেৱ গোস্বামী আউনী-আটীয় সত্ৰাধিকাৰ প্ৰভুৰ কৃপা-দৃষ্টি নপৰা হলে, 'শ্ৰীকৃষ্ণ' ইমান সোনকালে পোহৰলৈ ওলোৱাৰ সম্ভাৱনা নাছিল। ইতি—

তেজপুৰ, অসম
ভাদ, জন্মাষ্টমী, ১৮৫২ শক

বিনীত
শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

উপক্ৰমণিকা

ভগবান শ্ৰীকৃষ্ণলৈ বুৰঞ্জীৰ ভেঁটিত আসন পতাৰ আগেয়ে কৃষ্ণ-অস্তিত্ব ঠাৱৰোৱাৰ প্ৰয়োজন হৈছে। কিয়নো, সেই অস্তিত্বত আস্থাহীন 'নানা ঋষিৰ নানা মত' বিস্তৰ প্ৰচাৰিত হব লাগিছে। সেই 'ঋষি'বৰ্গ ঘাইকৈ তিনি শ্ৰেণীত বিভক্ত। এটা শ্ৰেণীয়ে সেই অস্তিত্ব সমূলঞ্চে মানিব নোখোজে; আন এটা শ্ৰেণীয়ে তালৈ সন্দিগ্ধ চিত্তেৰে চায়; আৰু আন এটা শ্ৰেণীয়ে সেই অস্তিত্বমূলৰপৰা গজা কৃষ্ণবৃক্ষৰ গজালিত অতি-প্ৰাকৃতিকতা, গা-গছত অলৌকিকতা আৰু ফুল-ফলত অনৈসৰ্গিকতালৈ আঙুলিয়াই এঙাই দেখুৱায়। আনহাতে, এই ত্ৰিবিধ মতৰ এবিধৰ সংস্ৰৱ থকা সমলেৰেও বুৰঞ্জীৰ ভেঁটি বান্ধিব পৰা নাযায়। এতেকে, সেই তিনিওবিধ মত বাদ দি, সত্যতথ্য আৰু প্ৰত্যক্ষ সমলেৰে গঢ়িত চতুৰ্থ শ্ৰেণীৰ এটা মতত গঁঢ়িলা লৈ ৰব নোৱাৰিলে, শ্ৰীকৃষ্ণক বুৰঞ্জীৰ ভেঁটিত আসন দিয়াটো অসঙ্গত হয়। গতিকে, সেই অৰ্থে, পোন্-প্ৰথমতে, আমি এই কেইটা প্ৰশ্নৰ উত্তৰ কি পাওঁহক তাক ফঁহিয়াই চোৱা যাওক:

(১) শ্ৰীকৃষ্ণ-চৰিত আখ্যান নে, উপাখ্যান নে, উপন্যাস?

(২) আখ্যান যদি, তাৰ আঁতি-গুৰি ক'ত?

(৩) উপাখ্যান যদি, তাৰ মূল ক'ত?

(৪) উপন্যাস যদি, তাৰ আদৰ্শ কোন্?

প্ৰথম প্ৰশ্নৰ উত্তৰত কৃষ্ণ-চৰিত আমি একে-আষাৰে আখ্যান বুলি ভাঠি কওঁ; দ্বিতীয়ৰ সমিধানত আমি তলত কৃষ্ণাখ্যানৰ আঁতি-গুৰি খানি উলিয়াই দেখুৱাবলৈ আগ বাঢ়িছোঁ; তৃতীয়ৰ সমিচাৰত কোৱা যায় যে, একে-লগতে আংশিক উপাখ্যানছোৱাও আখ্যানছোৱাৰ আনুসঙ্গিককৈ দেখুৱা যাব; চতুৰ্থৰ উত্তৰ কাটি কব খোজোঁ যে, তাৰ আদৰ্শ বিচাৰ কৰাৰ প্ৰয়োজনেই নাই, যিহেতু আখ্যান আৰু উপাখ্যানৰ স্বীকাৰ্য্যই তাক তেনেই তল পেলাইছে।

পৌৰাণিক হিন্দুসাহিত্যৰ ৰাশি-ৰাশি মূলগ্ৰন্থৰ ভিতৰত ঘাইকৈ মহাভাৰত, হৰিবংশ আৰু ১৭খন পুৰাণত কৃষ্ণ-আখ্যান আৰু কৃষ্ণ-উপাখ্যানৰ বিপুল তথ্য পোৱা যায়, যদ্যপি কোনো এখনত ধাৰাবাহিকৰূপে কৃষ্ণকাহিনী লিপি-বদ্ধ হোৱা নাই। অৰ্থাৎ, মহাভাৰতত যি ছোৱা বিস্তাৰিতকৈ আছে, হৰিবংশ আৰু পুৰাণত সি সেইদৰে নাই; আৰু হৰিবংশ আৰু পুৰাণত যি ছোৱা সুবিস্তাৰিতভাৱে আছে, মহাভাৰতত সেই ছোৱা সমূলঞ্চে নাই। সি যি হওক, এই তিনিবিধ গ্ৰন্থই যে হিন্দুৰ পুৰাবৃত্ত, বংশাৱলী আৰু ইতিহাসৰ চিনাকি দিয়ে তাত সন্দেহ নাই। মহাভাৰতক কুৰু-পাণ্ডৱৰ আৰু হৰিবংশক শ্ৰীহৰিৰ গাথা বুলিও আখ্যা দিয়া যায়।

মহাভাৰত মুঠেই এখন। মূল-মহাভাৰত ২৪০০০ শ্লোকেৰে পূৰ্ণ। ইয়াক স্বৰূপাৰ্থত পুৰাবৃত্ত, বা গাথা, বা কুৰু-পাণ্ডৱৰ বংশাৱলী বুলিলেও বুলিব পাৰি। গতিকে, ইয়াত কৃষ্ণকাহিনী স্বকীয়াকৈ নাই। কৃষ্ণ-বান্ধৱ পাণ্ডৱৰ সংস্ৰৱত মাথোন অৱসৰ আৰু প্ৰয়োজন বুজি কৃষ্ণকথা কথিত হৈছে, সেয়ে কুৰুক্ষেত্ৰ মহাৰণৰ সংস্ৰৱত বিশেষ; কিয়নো, তাৰ গৰ্ভতে জগতৰ অপূৰ্ব্ব, অনুপম আৰু উচ্চতম ধৰ্ম্মসূত্ৰ ভগবান শ্ৰীকৃষ্ণৰ শ্ৰীমদ্ভগৱদ্গীতা নিহিত হৈছে। মূলমহাভাৰত সেই কালৰ বিচক্ষণীয়া পুৰাতত্ত্ববিদ্ বিদগ্ধ পণ্ডিত মহামুনি কৃষ্ণ-দ্বৈপায়ণ বেদব্যাসৰ দ্বাৰাই প্ৰণীত। মহাভাৰত প্ৰণেতা ব্যাসদেৱ শ্ৰীকৃষ্ণৰ সমসাময়িক শাস্ত্ৰকাৰ। এতেকে, মহাভাৰতত কথিত কৃষ্ণকথা প্ৰকৃত আখ্যান; সি ইতিহাসতকৈও স্বৰূপ, যিহেতু ইতিহাস তথ্যসংগ্ৰহ মাথোন, কিন্তু আখ্যান লেখকে দেখি-শুনি লিপিবদ্ধ কৰা ঘটনাসমষ্টি। এনেস্থলত, যি মহাভাৰতৰ আখ্যানমালা মানিব নোখোজে, সি শ্ৰীকৃষ্ণৰ অস্তিত্বও নামানিব পাৰে; আৰু যি কুৰুক্ষেত্ৰ-মহাৰণক উপন্যাসৰ বুকত ঠাই দিব খোজে, সি কৃষ্ণ-

কাহিনীকো কল্পনাৰ পাখি পিন্ধাই উৰুৱাই পঠিয়াব পাৰে। কিন্তু, তৎপূৰ্ব্বতে তেওঁ মহাভাৰতত কৃষ্ণ-আখ্যান লিখোঁতা কৃষ্ণদ্বৈপায়ন বেদব্যাসৰ অস্তিত্ব উৰুৱাই লব লাগিব।

হৰিবংশও একেখন মাথোন। মহাভাৰতত যি ৰূপে কুৰু-পাণ্ডৱৰ বংশাৱলী আৰু কীৰ্ত্তিকাহিনী লিপিবদ্ধ হৈছে, হৰিবংশত সেইদৰে শ্ৰীহৰিবংশৰ বংশাৱলী আৰু কীৰ্ত্তিকলাপ সন্নিবিষ্ট হৈছে। কিন্তু, মহাভাৰত সবাতকৈ পুৰণি গ্ৰন্থ; বেদত বাজে ইয়াতকৈ পুৰণি গ্ৰন্থৰ সন্ধেদ্ পোৱা নাই এথোন। হৰিবংশ মহাভাৰতৰ ভালেমান বছৰৰ পাচত হে আৱশ্যক অনুসৰি প্ৰচাৰিত হৈছে। হৰিবংশত শ্ৰীকৃষ্ণৰ আদ্যলীলা ছোৱাৰ আদ্যোপান্ত মধ্যলীলা ছোৱাৰ আদ্যাংশ আৰু অন্ত্যালীলাৰ মধ্যাংশ বিস্তাৰিতকৈ বিবৃত হৈছে। কৃষ্ণ-কাহিনীৰ সেই অংশ সেইদৰে মহাভাৰতত নাই;— তাৰপৰা এনে অনুমান হয় যে, পূৰ্ব্ববৰ্ত্তী মহাভাৰতৰ সেই অভাব পূৰ্ণ কৰিবৰ অৰ্থে হে পৰবৰ্ত্তী হৰিবংশ প্ৰচাৰিত হয়। কিন্তু, মহাভাৰতত কথিত কৃষ্ণকথা যে হৰিবংশত সমূলি নাই এনে নহয়, মাথোন মহাভাৰতত নোহোৱা ছোৱাৰ সমান বিস্তাৰিত নহয়।

পুৰাণ আদিতে এখন মাথোন। আখ্যান, উপাখ্যান, গাথা আৰু কল্পশুদ্ধিৰ তথ্যসংগ্ৰহৰ দ্বাৰাই পুৰাতত্ত্ববিদ মহামুনি বেদব্যাসে এখন পুৰাণ-সংহিতা প্ৰণয়ন কৰে। পাচত, সেই গ্ৰন্থ তেওঁ তেওঁৰ প্ৰিয়শিষ্য লোমহৰ্ষণক দান কৰে। লোমহৰ্ষণ ব্যাসমুনিৰ এজন সূতকুলীয়া শিষ্য। সেই শিষ্যৰ জৰিয়তে সুমতি, অগ্নিবৰ্চ্চা, মিত্ৰয়ু, শাংসপায়ন, অকৃতব্ৰণ আৰু সাবৰ্ণি নামে ব্যাসদেৱৰ ছজন প্ৰখ্যাত প্ৰশিষ্য আছিল। প্ৰথমতে, বেদব্যাসৰ আদিপুৰাণ-সংহিতাৰপৰা লোমহৰ্ষণৰ দ্বাৰাই লৌমহৰ্ষণিকা নামে অন্যতম পুৰাণ-সংহিতা প্ৰচাৰিত হয়; তাৰ পাচত কশ্যপ, সাবৰ্ণি আৰু শাংসপায়নে মূল-লৌমহৰ্ষণিকাৰপৰা ভাঙ্গি তিনিয়ো তিনিখন পুৰাণ-সংহিতা স্বকীয়া-স্বকীয়াকৈ যুগুত কৰি প্ৰচাৰ কৰে। এয়ে পুৰাণৰ আঁতি-গুৰি। ইয়াৰ-পৰাই যথাকালত ১৮ খন পুৰাণৰ সৃষ্টি হয়;—যেনে, (১) বিষ্ণুপুৰাণ, (২) মাৰ্কেণ্ডেয়পুৰাণ, (৩) ভাগৱত-পুৰাণ, (৪) ব্ৰহ্মপুৰাণ, (৫) পদ্মপুৰাণ, (৬) লিঙ্গপুৰাণ, (৭) বৰাহপুৰাণ, (৮) নাৰদপুৰাণ, (৯) গৰুড়পুৰাণ, (১০) ব্ৰহ্মাণ্ডপুৰাণ, (১১) বায়ুপুৰাণ, (১২) ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ, (১৩) ভবিষ্যপুৰাণ, (১৪) বামনপুৰাণ, (১৫) স্কন্দপুৰাণ, (১৬) অগ্নিপুৰাণ, (১৭) মৎস্যপুৰাণ আৰু (১৮) কূৰ্ম্মপুৰাণ। ইয়াৰ ভিতৰত (১) বিষ্ণুপুৰাণ, (২) ভাগৱতপুৰাণ, (৩) ব্ৰহ্ম-পুৰাণ, (৪) পদ্মপুৰাণ, (৫) বায়ুপুৰাণ, (৬) ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ, (৭) স্কন্দপুৰাণ, (৮) বামনপুৰাণ আৰু (৯) কূৰ্ম্মপুৰাণ—এই ৯ খন পুৰাণত মাথোন কৃষ্ণ-কথা কথিত হৈছে। পুৰাণ-বিলাকৰ ভিতৰত প্ৰথম পুৰাণখনেই হৰিবংশৰ ভালেমান বছৰৰ পাচত ৰচিত; আকৌ হৰিবংশ মহাভাৰতৰ কেইবা-শ বছৰৰ পাচত প্ৰণীত। এতেকে, পুৰাণকথিত কৃষ্ণকাহিনীক আখ্যান বোলা নাযায়; ইয়াক উপাখ্যান আৰু ইতিহাসৰ শ্ৰেণীত হে ঠাই দিয়া যায়। ওপৰত উনুকিউৱা মহাভাৰতত-লিপিবদ্ধ হোৱা অংশ কৃষ্ণচৰিত্ৰ হে আচল আখ্যান, কিয়নো, মহাভাৰত-প্ৰণেতা ব্যাসদেৱ শ্ৰীকৃষ্ণৰ সমসাময়িক শাস্ত্ৰকাৰ; হৰিবংশৰ গ্ৰন্থকাৰ আৰু পুৰাণকাৰসকল শ্ৰীকৃষ্ণৰ পৰবৰ্ত্তী লোক আৰু লেখক।

আমি সম্প্ৰতি হাতত পোৱা পুৰাণবিলাকৰ ভিতৰত বিষ্ণুপুৰাণ সবাতকৈ পুৰণি। স্বয়ং বেদব্যাসপ্ৰণীত আদিমূল-পুৰাণ-সংহিতাৰ অবিহনত আৰু তাৰ পৰবৰ্ত্তী লৌম-হৰ্ষণিকাৰ অভাৱত বিষ্ণুপুৰাণকে প্ৰথম পুৰাণ বুলি ধৰা হৈছে। হৰিবংশে মহাভাৰতত নোহোৱা কৃষ্ণ-চৰিতৰ যি আদ্যলীলা ছোৱা যোৱা দি আখ্যান আৰু উপাখ্যানৰে সৈতে কৃষ্ণকাহিনী পূৰ্ণ কৰিলে, বিষ্ণুপুৰাণে তাকে দোহাৰি তাৰ কলেৱৰ পৰিপূৰ কৰিলে। তাৰ পাচত, ভাগৱত-পুৰাণে সেই আদ্যলীলা অংশ অতি বিশুদ্ধ পৰম পৱিত্ৰ পাৰমাৰ্থিক ভাবেৰে পৰিপূৰিত কৰি কৃষ্ণচৰিতামৃত পানাৰ্থে জনসাধাৰণৰ মন-প্ৰাণ উত্ৰাৱল কৰে। কৃষ্ণকাহিনী বুকুত লোৱা আনকেইখন পুৰাণো এই আদ্যলীলা অংশতে আৱদ্ধ। তাৰ ভিতৰত ব্ৰহ্মবৈৱৰ্ত্তপুৰাণৰ বৰ্ণনা সবাতকৈ বহুল। মৎস্যপুৰাণমতে, ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ ১৮০০০ হাজাৰ শ্লোকেৰে পূৰ্ণ। তাৰপৰা তাৰ প্ৰণেতা সাবৰ্ণিয়ে নাৰদৰ আগত কৃষ্ণমাহাত্ম্য, ৰথন্তৰকল্প আৰু ব্ৰহ্মবৰাহ-কাহিনীৰে আবৃত্তি কৰে। কিন্তু, বৰ্ত্তমান প্ৰচাৰিত ব্ৰহ্মবৈৱৰ্ত্তত ৰথন্তৰ-

কল্প আৰু ব্ৰহ্মবৰাহ-কাহিনী নাই, আৰু সাবর্ণিয়ে নাৰদৰ আগত আবৃত্তি কৰা কথাৰো উল্লেখ নাই। এতেকে, ই যে মূল-ব্ৰহ্মবৈবৰ্ত্তপুৰাণ নহয়, আৰু ই যে নিচেই আধুনিক আৰু প্ৰক্ষীপ্ত-পৰিচায়ক তাত সন্দেহ নাই। সি যি হওক, মূল-ব্ৰহ্মবৈবৰ্ত্তত যে কৃষ্ণকাহিনীৰ বহুল আৰু বিশুদ্ধ বিবৰণ আছিল সি ধ্ৰুৱ; বৰ্ত্তমান বৈৱৰ্ত্ত মাথোন তাৰ অতিৰঞ্জনত প্ৰবৃত্ত।

এই গল মহাভাৰত, হৰিবংশ আৰু পুৰাণৰ কথা। এই কেইবিধ আখ্যান, উপাখ্যান আৰু ইতিহাসে কৃষ্ণতথ্য ওপচাই দিছে; ইয়াৰ ওপৰঞ্চি হিন্দুৰ অতি পুৰণি গ্ৰন্থ-শাস্ত্ৰ[১] বেদ, ব্ৰাহ্মণ, অৰণ্যক, উপনিষদ আৰু মনুসংহিতা—এইবিলাকত কৃষ্ণ-আখ্যান বা কৃষ্ণ-উপাখ্যান পাবলৈ নাই, কিয়নো, সেইবিলাক গ্ৰন্থ-শাস্ত্ৰ শ্ৰীকৃষ্ণৰ পূৰ্ব্ববৰ্ত্তী, মহাভাৰত আৰু পুৰাণাদিৰ দৰে সমসাময়িক আৰু পৰবৰ্ত্তী নহয়। সেইবিলাকত নাই বুলিও, মহাভাৰতৰ পৰবৰ্ত্তী ৬০০ খ্ৰীষ্ট-পূৰ্ব্বাব্দমানত প্ৰণীত পাণিনি ব্যাকৰণৰ সূত্ৰ-ব্যাখ্যাৰ পটন্তৰত 'বাসুদেৱ' নাম পোৱা যায়। এই বাসুদেৱ যে মহাভাৰত আৰু পুৰাণাদিৰ বসুদেৱৰ পুত্ৰ কৃষ্ণ, তাত সংশয় মানিবলৈ কাৰণ নাই, যিহেতু তাৰ আনুসঙ্গিক সূত্ৰৰ পটন্তৰত 'কৃষ্ণ' আৰু 'কংস' নামো উল্লিখিত আছে। ঋগ্বেদ-সংহিতাতো 'কৃষ্ণ' নাম লগ পোৱা যায়, কিন্তু সেই কৃষ্ণ বসুদেৱৰ পুত্ৰ বাসুদেৱ বা শ্ৰীকৃষ্ণ বুলি মানিব নোৱাৰি।

মহাভাৰত, হৰিবংশ আৰু ৯ খন পুৰাণত বাজেও কল্কিপুৰাণ, ৰাজতৰঙ্গিণী, জ্যোতির্ব্বিদাভৰণ, হৰগৌৰীতন্ত্ৰ, বৃহৎসংহিতা প্ৰমুখ্যে ভাৰতীয় ভাষাত হাজাৰ-বিজাৰ গ্ৰন্থত কৃষ্ণ-কথা কথিত আছে; লাখ-বিলাখ গীত, কবিতা, নাট, উপাখ্যান আদিত কৃষ্ণনামকীৰ্ত্তন প্ৰচাৰিত হৈছে; ভাৰতবৰ্ষৰ সৰ্ব্বত্ৰতে আদৰ্শপুৰুষ শ্ৰীকৃষ্ণৰ জন্মাষ্টমী-তিথি পালনৰ ৰীতি নিছিগাধাৰেৰে বৰই লাগিছে। পিচে, ইমানতো পছিমীয়া সভ্যতাপোহৰৰ জিলিকনি পোৱা কোনো কোনো ভাৰতীয় শিক্ষিত লোকে, বিশেষকৈ প্ৰখ্যাত অধ্যাপক মেক্সমূলাৰ প্ৰমুখ্যে সংস্কৃতজ্ঞ পাশ্চাত্য পণ্ডিতবৰ্গে কৃষ্ণৰ অস্তিত্ব মানিব নোখোজে কিয়? কৃষ্ণ-কাহিনী আখ্যান বুলি স্বীকাৰ কৰিবলৈ সিবিলাকে টান পায় কিয়? কৃষ্ণ-লীলা কাল্পনিক বুলি তাক ওফৰাবলৈ সিবিলাকে সাহ কৰে কিয়? এই কেইটা প্ৰশ্নৰ যথাযথ সমিধান ভাঠি দিয়ে কোনে এতিয়া? তথাপি, নিতান্ত অপাত্ৰ যদিও, আমি সেই প্ৰশ্নৰ উত্তৰ এইদৰে কাটিবলৈ আগ বাঢ়িব খোজোঁ:—যেনে, (১) প্ৰাচ্য সাহিত্য-সভ্যতা যে ইমান পুৰণি আৰু চহকী হব পাৰে, সেইটো আধুনিক পাশ্চাত্য পণ্ডিতৰ ধাৰণাই নধৰেগৈ; (২) মূল-মহাভাৰত আৰু পুৰাণাদিৰ পৰবৰ্ত্তী সংস্কৰণবোৰত প্ৰক্ষীপ্তৰ পৰিমাণ অতিপাতকৈ চৰি উঠি কৃষ্ণচৰিত্ৰত অলৌকিকতাৰ মাত্ৰা অতিচাৰকৈ চৰোৱাত, শ্ৰীকৃষ্ণ সম্বন্ধীয় আখ্যান, উপাখ্যান, গাথা, কল্পবৃদ্ধিমূলক গ্ৰন্থসমূহক কাব্যৰ লেখত লবলৈ বিদেশী আৰু বিভাষী পণ্ডিতসকলে সুচল পাইছে; (৩) আন হাতে, পুৰণিকলীয়া হিন্দুশাস্ত্ৰসমূহ শ্লোক আৰু ছন্দত ৰচিত হোৱাৰ আপাহত, তাত কল্পনাৰ পাখি লগাই নচুৱাবলৈকো চল লাগি ৰৈছে। স্বৰূপতে, সেই কল্পনাৰ ব্যাপ্তি আৰু তাৰ প্ৰভুত্বৰ অত্যাচাৰ ক্ৰমাৎ অতিপাত হৈ উঠাৰ নিদৰ্শন ঢাকি ধৰি নেদেখা কৰিব পৰা নাযায়। গতিকে, সেই অলৌকিকতাৰ গাত বাগি দি কৃষ্ণ-কাহিনী কাল্পনিক বুলি উকৰাই পঠিয়াবলৈ বিদেশী পণ্ডিতৰ পক্ষে উজু হৈ পৰিছে। আন কি, সেই হেতুতে ধৰি, মহাভাৰত হেন আখ্যানপূৰ্ণ ঐতিহাসিক মহাগ্ৰন্থকো মহাকাব্য (Epic Poem) বুলিহে জৰ্মানী আৰু আমেৰিকাৰ সংস্কৃতজ্ঞ পণ্ডিতসকলে সাব্যস্ত কৰিব খোজে! এনে কি, শ্ৰীকৃষ্ণৰ লগতে সিবিলাকে কুৰু-পাণ্ডৱকো কল্পনাৰ পাখি পিন্ধাই উৰাই দিবলৈ চিপ্ লয়! সি যিহওক, কুৰুক্ষেত্ৰ মহাৰণৰ প্ৰকৃততা কিন্তু সিবিলাকে নিৰ্ব্বিবাদে স্বীকাৰ কৰে, গতিকে সেই যুক্তিহীন অসংলগ্ন ধাৰণাৰ বাবেই সিবিলাক সত্যৰপৰা পিছলি ক'ৰবাত পৰেগৈ, সেই বাবেই সিবিলাকৰ কূটতৰ্ক সেইখিনিতে মুখৰপৰা মাটিলৈ সৰি পৰে; কিয়নো, কুৰুক্ষেত্ৰ-

(১) Professor Maxmullar's "History of Ancient Sanskrit Literature." অধ্যাপক মেক্সমূলাৰৰ মতে, ব্ৰাহ্মণ, অৰণ্যক, উপনিষদ, মনুসংহিতা এই বেদাংশবিলাকৰ প্ৰণয়ন ১০০০ খ্ৰীষ্টপূৰ্ব্বাব্দৰপৰা আৰম্ভ হয়।

বশ প্ৰকৃত বুলি মানিলে তাৰ কেন্দ্ৰশক্তি আৰু সৰ্ব্বশ্ৰেষ্ঠ নায়ক শ্ৰীকৃষ্ণক সিবিলাকে নামানি পাৰে কেনেকৈ ?

ইমানলৈকে পাৰ্য্যমানে চমুচপাই, গ্ৰন্থ-শাস্ত্ৰাদিৰ সমৰ্থন লৈ, শ্ৰীকৃষ্ণৰ অস্তিত্ব সাব্যস্ত কৰাৰ উদ্দেশে আমাৰ মন্তব্য দিয়া গল। বিদেশী পণ্ডিতৰ সাহায্যাৰ্থে, উল্লিখিত যুক্তি-সমষ্টিৰ লগত আৰু এবিধ যুক্তিবল প্ৰয়োগ কৰা যায় যে, অকল শাস্ত্ৰোক্ত সূত্ৰাদি আৰু গ্ৰন্থাদিত লিপিবদ্ধ আখ্যান-মঞ্জৰী উপভোগ কৰিয়েই তাৰ ওপৰত সিদ্ধান্ত মন্তব্য দিবলৈ চাব নালাগে, তাৰ লগতে দেশৰ পূৰ্ব্বাপৰ প্ৰচলিত সামাজিক আৰু ৰাজনৈতিক ৰীতি-নীতি আৰু দেশাচাৰৰ তত্ত্ব আয়ত্ত কৰিবলৈকো চাব লাগে, তেহে ৰাশিকৃত তথ্যৰ লগত খানমিহলি হৈ থকা কৃষ্ণ-লীলা সম্পৰ্কত বিশুদ্ধ মন্তব্য দিবলৈ সিবিলাকে উজু পাব। কিয়নো, সামাজিক আৰু ৰাজ-নৈতিক ৰীতি-নীতি আৰু দেশাচাৰৰ সাজ-সজ্জল পৰীক্ষা কৰিও ভালেমান পুৰাতত্ত্ব উপলব্ধি কৰা যায়। কাৰ্য্যৰ নিদৰ্শন চাই কাৰণ নিৰ্ণয় কৰা জ্ঞানগৰ্ভ পদ্ধতি পৃথিবীৰ সুসভ্য দেশত আজি বহুলকৈ প্ৰচলিত। তেনেকুৱা এটা পুৰাতনীয়া পদ্ধতিৰ গাত গঁঠিলা লৈ কোৱা যায় যে, পুৰা-কালত সুতৰ মুখে ৰাজকীয় আৰু ওপৰশ্ৰেণীৰ সামাজিক লোকৰ বংশাৱলী আবৃত্তিৰ যি দেশাচাৰ প্ৰচলিত আছিল, তাৰ বুকুতো কৃষ্ণ-অস্তিত্ব পাকে-পাকে কৰপ্-কাটি সোমাই ৰৈছে। যেনে,—ব্যাসদেৱৰ প্ৰশিষ্য বৈশম্পায়নে জন্মেজয় ৰজাৰ সমীপত মহাভাৰত আবৃত্তি কৰাৰ কথা অনেকে জানে। জন্মেজয় পাণ্ডৱৰ নাতিৰ-নাতি। সেই সূত্ৰতে তেওঁ শ্ৰীকৃষ্ণৰো নাতিৰ-নাতি। অৰ্থাৎ, শ্ৰীকৃষ্ণৰ বৈনাই তৃতীয় পাণ্ডৱ অৰ্জ্জুন আৰু সুভদ্ৰাদেৱীৰ পুত্ৰ অভিমন্যু; অভিমন্যু-উত্তৰাৰ পুত্ৰ পৰীক্ষিত; পৰীক্ষিতৰ পুত্ৰ জন্মেজয়। সহোদৰা সুভদ্ৰাদেৱীৰ নাতিৰ-নাতি সম্বন্ধ-সূত্ৰতে জন্মেজয় শ্ৰীকৃষ্ণৰো নাতিৰ-নাতি। এতেকে, কৃষ্ণ-সুভদ্ৰাৰ সম্বন্ধ নিছিঙিলে কৃষ্ণ-জন্মেজয়ৰ সম্বন্ধ ছিঙিব পৰা নাযায়। পুৰুষ পৰম্পৰাকৈ বংশ-গৌৰৱৰ আবৃত্তি শ্ৰৱণ কৰা ৰীতি অনুসৰি, ৰজা জন্মেজয়ে পিতৃপুৰুষ কুৰু-পাণ্ডৱ আৰু শ্ৰীকৃষ্ণৰ কীৰ্ত্তি-কলাপৰ আবৃত্তি বৈশাম্পয়ণৰ মুখে শ্ৰৱণ কৰাটো নিচেই স্বাভাবিক। ইয়াক কেৱে দুই নকৰে। আমি জনাখিনিত, অধ্যাপক মেক্সমূলাৰ (Max Mullar), পণ্ডিত ওৱেবাৰ (Weber), পণ্ডিত উইলচন (Wilson), পণ্ডিত গোল্ড-ষ্টুকৰ (Goldstucker), পণ্ডিত কোল্‌ব্ৰুক্ (Cole-brooke), পণ্ডিত এল্‌ফিন্‌ষ্টোন্ (Elphinstone), পণ্ডিত উইলফোৰ্ড (Wilford), পৰিব্ৰাজক মেগেস্থিনিজ্ (Megasthenes) এইসকলৰ কৃষ্ণ-চৰিত্ৰত হাত দিয়া পাশ্চাত্য পণ্ডিতৰ কেৱে এই বিষয়ত কোনো প্ৰতিবাদ কৰা নাই। ৰাজ-বংশাৱলী যে সত্য ঘটনাৱলীৰ গাত গঁঠিলা লৈ লিখা হয়, তাকো কেৱে দুই নকৰে। এতেকে, মহাভাৰতত, পাণ্ডৱৰ সংশ্ৰৱত, যি শ্ৰীকৃষ্ণ আখ্যান অপৰিহাৰ্য্যকৈ বিবৃত হৈছে, সেই শ্ৰীকৃষ্ণৰ অস্তিত্বৰ প্ৰতি আস্থাহীন হোৱাৰ কোনো যুক্তি নাই,—শ্ৰীকৃষ্ণ যে স্বৰূপ, কৃষ্ণকাহিনী যে প্ৰকৃত আখ্যান, তাত আৰু ধনিষ্ঠামানো সন্দেহ নাই।

তেন্তে, ইয়ানতে শ্ৰীকৃষ্ণৰ মানৱত্ব প্ৰতিপন্ন হল বুলি ধৰিব পাৰি। কিন্তু মানৱ বুলিও, শ্ৰীকৃষ্ণ আদৰ্শ মানৱ। আদৰ্শ স্বৰূপেও শ্ৰীকৃষ্ণ উচ্চতম আদৰ্শ, যি আদৰ্শ সহজে ধাৰণা কৰিব পৰা নাযায়, যি আদৰ্শ অদ্ভুত, অলৌকিক, অতিপ্ৰাকৃতিক হেতুকে সৰ্ব্বসাধাৰণ মানৱে শ্ৰীকৃষ্ণত ঈশ্বৰত্ব আৰোপ নকৰাকৈ নোৱাৰেগৈ।

এতিয়া, শ্ৰীকৃষ্ণৰ স্থিতি বিষয়ে একেষাৰ। সেই অৰ্থে কৃষ্ণদেৱৰ আবিৰ্ভাব আৰু তিৰোভাব, অৰ্থাৎ কৃষ্ণ-জন্ম আৰু কৃষ্ণ-প্ৰয়াণৰ কাল নিৰ্ণয় কৰাৰ প্ৰয়োজন। এই কাল নিৰ্ণয় অদ্যাপি নিশ্চিত হৈ উঠাগৈ নাই এথোন। এই বিষয়ক সিদ্ধান্ততো 'নানা ঋষিৰ নানা মত'। সেই মতভেদত অন্ততঃ তিনি-চাৰি-শ বছৰৰ হীন-ডেঢ়ি ব্যৱধান দেখা যায়। সি যি হওক, এতিয়া ইয়াৰ আঁতিগুৰি বিচাৰি পম্ খেদি নিলে ক'ত ওলোৱাগৈ যায়, চোৱা যাওক। সেই পম্ কেৱল এডালেই নহয়, কেইবাডালো জীয়াৰী-খেদা পম্ লগ পোৱা যায়। কিন্তু, স্বৰূপত যুধিষ্ঠিৰৰ স্থিতি, কুৰুক্ষেত্ৰৰ স্থিতি আৰু ভীষ্মস্থিতিত গৈ ওলোৱা ভাল হে যাই পম্। কিয়নো, কুৰুক্ষেত্ৰ-যুদ্ধ অৱসানৰ ভাগত ভীষ্মদেৱে শৰশয্যাত পৰি অন্তিমকালত বৃন্দাবনৰ শ্ৰীকৃষ্ণৰূপ দৰ্শন পাবলৈ বাঞ্ছা কৰা প্ৰসঙ্গত শ্ৰীকৃষ্ণৰ আত্মলীলাৰ কাল নিৰ্দ্দেশ কৰা যায়;

ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ বিৰাট ৰাজসূয়-যজ্ঞ-সম্ভাত, শিশুপাল-বধ প্ৰসঙ্গত, বয়োজ্ঞানবৃদ্ধ মহাত্মা ভীষ্মদেৱে যুক্তি-তৰ্কস্থলত কৃষ্ণ-মাহাত্ম্যৰ বিষয়ে যি আভাস দিছিল, তাৰপৰা শ্ৰীকৃষ্ণৰ মধ্যলীলাৰ কাল নিৰ্ণয় কৰা যায়; আৰু কুৰুক্ষেত্ৰযুদ্ধৰ আৰম্ভণত পোন্-প্ৰথম দিনাই ভগবান শ্ৰীকৃষ্ণই তেওঁৰ সখি-শিষ্য ধৰ্ম্মাত্মা অৰ্জ্জুনক গীতা-ধৰ্ম্মৰ মহামন্ত্ৰ দান কৰা ক্ষণৰ-পৰা শ্ৰীকৃষ্ণৰ অন্ত্যলীলাৰ কাল গণিব পৰা যায়। তাৰো-পৰি, সৰ্ব্বশাস্ত্ৰবিশাৰদ জ্যোতিৰ্ব্বিদ্ মহাপণ্ডিত ভীষ্মদেৱে শৰশয্যাত পৰি তেওঁৰ ইচ্ছামৃত্যুৰ অৰ্থে যি শুভক্ষণ গণনা কৰিছিল তাৰ সাহায্যত অঙ্কৰে সৈতে কৃষ্ণস্থিতিৰ কাল স্থিৰ কৰিবলৈকো চল লাগি আছে। এতেকে, ভীষ্মস্থিতিত গৈ ওলোৱা ভাল তথ্যখেদ পম্ হে সবাতকৈ ঘাই। ভীষ্ম-প্ৰয়াণৰ ক্ষণ নিৰ্দ্ধাৰিত হৈছিল মঘা নক্ষত্ৰত উত্তৰায়ণৰ স্থিতিকালত। সেই অনুসৰি, জ্যোতিষী গণনাৰে গণি নিলে ভীষ্মস্থিতি ১৪৩০ খ্ৰীষ্টপূৰ্ব্বাব্দত নিৰ্দ্ধাৰিত হৈ ৰয়গৈ। কিন্তু, সেই কালত সেই শতাব্দীৰ আৰম্ভণ মাথোন, তেতিয়া শ্ৰীকৃষ্ণৰ প্ৰৌঢ়াৱস্থা। এতেকে, তাৰ লগত আদহীয়া শ্ৰীকৃষ্ণৰ বয়স ৭০ বছৰমান যোগ দিলে, ১৫০০ খ্ৰীষ্টপূৰ্ব্বাব্দত কৃষ্ণজন্মৰ কাল নিৰ্ণয় কৰা যায়। ইয়াৰ লগত যুধিষ্ঠিৰৰ স্থিতি আৰু কুৰুক্ষেত্ৰ-যুদ্ধৰ কালো মিলে।

বিষ্ণুপুৰাণ, ৪ৰ্থ খণ্ড, ২৪ আধ্যাৰ ৩৩ আৰু ৩৪ শ্লোকত কৈছে,—"সপ্তৰ্ষীণাঞ্চ যৌ পূৰ্ব্বৌ দৃশ্যতে উদিতৌ দিবি। তয়োস্ত মধ্যনক্ষত্ৰং দৃশ্যতে যৎ সমং নিশি॥ ৩৩॥ তেন সপ্তৰ্ষয়ো যুক্তাস্তিষ্ঠন্ত্যব্দশতং নৃনাম্। তে তু পাৰিক্ষিতে কালে মঘাস্বাসন দ্বিজোত্তম॥ ৩৪॥" এই মতে জ্যোতিষী গণনাত পৰীক্ষিতৰ জন্মকাল খাতাংকৈ ১৪৩০ খ্ৰীষ্টপূৰ্ব্বাব্দ পোৱা যায়,—তেতিয়া শ্ৰীকৃষ্ণ আদহীয়া। এতেকে, ১৪৩০+৭০=১৫০০ খ্ৰীষ্টাব্দত শ্ৰীকৃষ্ণৰ জন্মকাল ওলাই পৰে।

খ্ৰীঃ পূঃ ৩২৫ চনত সুপ্ৰখ্যাত দিগ্বিজয়ী আলেক্জেণ্ডাৰে ভাৰতবৰ্ষ আক্ৰমণ কৰেহি। সেই কালত মহানন্দৰ অনুবৰ্ত্তী চন্দ্ৰগুপ্ত ৩১৫ খ্ৰীষ্টপূৰ্ব্বাব্দত ৰজা হয়। আন হাতে, মহানন্দৰ অভিষেকৰপৰা পৰীক্ষিতৰ জন্মলৈকে ১১১৫ বছৰৰ ব্যৱধান তলৰ ছেদত শ্লোকাৰ্থেৰে দেখুৱা হৈছে। এতেকে, ৩১৫+১১১৫=১৪৩০ খ্ৰীষ্টপূৰ্ব্বাব্দত পৰীক্ষিতৰ জন্ম; তাৰ লগত আদহীয়া শ্ৰীকৃষ্ণৰ বয়স ৭০ বছৰমান যোগ দিলে, ১৪৩০+৭০=১৫০০ খ্ৰীঃ পূঃ চনত কৃষ্ণজন্মৰ কাল পোৱা যায়।

শ্ৰীমদ্ভাগৱত, দ্বাদশ স্কন্ধ, দ্বিতীয় আধ্যাৰ ২১ আৰু ২২ শ্লোকত কৈছে,—"আৰভ্য ভৱতো জন্ম যাবন্নন্দাভিষেচনং। এতদ্বৰ্ষসহস্ৰন্তু শতং পঞ্চদশোত্তৰং॥২১॥ সপ্তৰ্ষীণাঞ্চ পূৰ্ব্বৌ যৌ দৃশ্যতে উদিতৌ দিবি। তয়োস্তু মধ্যে নক্ষত্ৰং দৃশ্যতে যৎ সমং নিশি॥ তেনৈব ঋষয়ো যুক্তাস্তিষ্ঠন্ত্যব্দশতং। তে ত্বদীয়ে দ্বিজাঃ কালে অধুনাচাশ্ৰিতা মঘাঃ॥২২॥" অৰ্থ,—"হে ৰাজন্ (পৰীক্ষিত)! আপোনাৰ জন্মৰপৰা আৰম্ভ কৰি মহানন্দৰ ৰাজ্যাভিষেকলৈকে এক সহস্ৰ একশত পঞ্চদশ বছৰ (১১১৫) পাৰ হয়। সপ্তৰ্ষি-মণ্ডলৰ উদয়কালত পুলহ আৰু ক্ৰতু নামে যি দুটা নক্ষত্ৰ আকাশত পোন্-প্ৰথমে ওলোৱা দেখা যায়, সেই দুই নক্ষত্ৰৰ অন্তৰত সমদেশ-অৱস্থিত অশ্বিন্যাদি নক্ষত্ৰবিলাক এটি এটিকৈ ওলাবলৈ ধৰে; সেই এটি এটি নক্ষত্ৰৰে সৈতে লগ লাগি এটি সপ্তৰ্ষি মণ্ডল মনুষ্য-পৰিমাণে শত বছৰ ব্যাপি অৱস্থান কৰে। হে ৰাজন্! আপোনাৰ সময়তে সম্প্ৰতি সেই সপ্তৰ্ষিমণ্ডলে মঘা নক্ষত্ৰক আশ্ৰয় কৰি অৱস্থান কৰি আছে। অৰ্থাৎ, পুলহ আৰু ক্ৰতুৰ মাজত এতিয়া মঘা নক্ষত্ৰ অৱস্থিত আছে, আৰু সেই মঘা নক্ষত্ৰৰ উপস্থিতিৰ কালৰপৰাই কলিৰ প্ৰৱেশ বুলি ধৰা যায়।" যুধিষ্ঠিৰৰ স্থিতি কালত, শ্ৰীকৃষ্ণৰ প্ৰৌঢ়াৱস্থাত পৰীক্ষিতৰ জন্ম, সেই কালৰপৰা আকৌ মহানন্দৰ অভিষেকলৈকে ১১১৫ বছৰ। আন হাতে, পাশ্চাত্য গণনা মতে, খ্ৰীঃ পূঃ ৩৬১ চনত মহানন্দৰ অভিষেক হয়। এতেকে, ৩৬১+১১১৫=১৪৭৬ খ্ৰীষ্টপূৰ্ব্বাব্দত পৰীক্ষিতৰ জন্ম; তাৰ লগত আদহীয়া শ্ৰীকৃষ্ণৰ বয়স ৭০ বছৰমান যোগ দিলে, গণনাত কৃষ্ণজন্মৰ কাল ১৫০০ খ্ৰীষ্টপূৰ্ব্বাব্দৰো ৪৬ বছৰৰ ওপৰলৈ হে উধায়।

মহাভাৰতৰ আদি-পৰ্ব্বত কৈছে, "অন্তৰেচৈব সম্প্ৰাপ্তে কলিদ্বাপৰয়োৰভূত। স্যমন্তে পঞ্চকে যুদ্ধং কুৰুপাণ্ডৱসেনয়োঃ॥" এই মতে, কলি আৰু দ্বাপৰ যুগৰ দোমোজাত কুৰুক্ষেত্ৰযুদ্ধ হৈছিল। আন হাতে, ঠিক সেই দোমোজাতে কৃষ্ণপ্ৰয়াণৰ কাল নিৰ্ণিত হৈছে। এতেকে, কলিৰ কাল

এতিয়ালৈকে ১৫০০+১৯২৯=৩৪২৯ বছৰ হৈছে। কিন্তু, ভাগৱত মহাপুৰাণৰ মত তাৰপৰা অলপ লৰিছে, যেনে,—শ্ৰীমদ্ভাগৱত, দ্বাদশস্কন্ধ, দ্বিতীয় আধ্যাৰ ২৭শ শ্লোকত কৈছে,—"যস্মিন্ কৃষ্ণোদিবং যাতস্তস্মিন্নেব তদাহনি। প্ৰতিপন্নং কলিযুগমিতি প্ৰাহুঃ পুৰাবিদঃ॥" অৰ্থাৎ "যিদিনাই শ্ৰীকৃষ্ণ পৃথিবীৰপৰা অন্তৰ্হিত হ'ল, সেই দিন-ধৰি কলি প্ৰবল হৈ উঠি প্ৰজাবৰ্গক পৰাভৱ কৰিবলৈ সমৰ্থবান হৈছে, পুৰাণবিদ্ পণ্ডিতসকলে ইয়াকে কয়।" এতেকে, এই মতে, কৃষ্ণ-প্ৰয়াণৰ অনতিপূৰ্ব্বেই কলিৰ প্ৰৱেশ হয়, মাথোন তেতিয়া কলিয়ে ইমান বল কৰিব পৰা নাছিল। গতিকে, কল্লিপ্ৰৱেশৰ দিন লেখত লৈ কৃষ্ণজন্মকাল গণিবলৈ গলে, ১৫০০ খ্ৰীষ্টপূৰ্ব্বাব্দতকৈও অলপ ওপৰলৈ হে উধায়।

* ১৫০০ খ্ৰীষ্টপূৰ্ব্বাব্দত শ্ৰীকৃষ্ণৰ আবিৰ্ভাব ধৰিলে, সেই নিৰ্দ্ধাৰণ পাশ্চাত্য পণ্ডিতসকলৰ গণনাফলৰপৰাও বৰ আঁতৰা-আঁতৰি নহয়গৈ। পণ্ডিত কোল্‌ব্ৰুক (Colebrooke), উইলচন (Wilson) আৰু এল্‌ফিন্‌ষ্টোনৰ (Elphinstone) মতে চতুৰ্দ্দশ খ্ৰীষ্ট-পূৰ্ব্বাব্দত কুৰুক্ষেত্ৰ-যুদ্ধ হয়, যি যুদ্ধত শ্ৰীকৃষ্ণ সৰ্ব্বপ্ৰধান নায়ক আছিল; এতেকে আমাৰ নিৰ্দ্ধাৰণৰে সৈতে সেই সিদ্ধান্ত লগালগি। পণ্ডিত উইলফোৰ্ড (Wilford) চাহাবৰ অনুমানত কুৰুক্ষেত্ৰ যুদ্ধ ১৪৭০ খ্ৰীষ্টপূৰ্ব্বাব্দলৈ অলপমান নামে, তেনেহলেও তেওঁৰ নিৰ্দ্ধাৰণে আমাৰ কৃষ্ণজন্মকাল চুৰেগৈ। পণ্ডিত প্ৰাট্ (Pratt) চাহাবে হে এচিপ বেচিকৈ নমাই আনি দ্বাদশ খ্ৰীষ্টপূৰ্ব্বাব্দত কুৰুক্ষেত্ৰ যুদ্ধৰ কাল নিৰ্ণয় কৰিছে, যদ্যপি ইয়াকো অতি বেচি ব্যৱধান বুলিব নোৱাৰি, কিয়নো, তিনি-চাৰি হাজাৰ বছৰৰ আগৰ কাল নিৰূপণত ডেৰ-শ বছৰৰ গডমিল হোৱাটো ধৰ্ত্তব্য নহয়। ইয়াৰপৰা এই সিদ্ধান্তত উপস্থিত হোৱাগৈ যায় যে, শ্ৰীকৃষ্ণৰ স্থিতি সম্বন্ধে প্ৰাচ্য আৰু পাশ্চাত্য মতভেদৰ মাজত বেচি ব্যৱধান নাই; উল্লিখিত প্ৰথম তিনিজনৰ মত ভাৰতীয় শাস্ত্ৰকাৰসকলৰ লগত মিলিছে বুলিয়েই ধৰা যায়, চতুৰ্থ জনৰ গণনা মাথোন ডেৰ শতাব্দীৰ আঁতৰ হৈ নামে। সি যি হওক, এইসকল পাশ্চাত্য পণ্ডিতৰ মতেও যে ভগবান শ্ৰীকৃষ্ণৰ আবিৰ্ভাব মহাত্মা যীশুখ্ৰীষ্টৰ জন্মৰ ডেৰহাজাৰমান বছৰৰ আগেয়ে হৈছিল, সেইটো স্বীকাৰ্য্য বুলি ধৰা যায়।

কামৰূপ বা পুৰণি অসমৰ পৌৰাণিক হিন্দু-বুৰঞ্জীমতেও শ্ৰীকৃষ্ণৰ স্থিতি চতুৰ্দ্দশ আৰু পঞ্চদশ খ্ৰীষ্টপূৰ্ব্বাব্দৰ দোমোজাত ৰয়। সেই কালৰ নৰকাসুৰ, ভীষ্মক আৰু বাণ—এই ৰজাসকল শ্ৰীকৃষ্ণৰ সমসাময়িক; সিবিলাকৰ লগত কৃষ্ণসংস্ৰৱ অপৰিহাৰ্য্যকৈ আঁটা ৰৈছে, সেই সংস্ৰৱ ছিঙিবলৈ গলে, আগধৰি কামৰূপৰ সেই ছোৱা হিন্দু-বুৰঞ্জী সমূলঞ্চে বাদ দিব লাগিব। কিয়নো, শ্ৰীকৃষ্ণৰ হাতত নৰকাসুৰ-বধ আৰু তেওঁৰ ঠাইত তেওঁৰ পুত্ৰ ভগদত্তৰ অভিষেক, ভীষ্মক ৰজাৰ জীয়াৰী ৰুক্মিণীদেৱীক শ্ৰীকৃষ্ণই হৰণ কৰি বিয়া কৰোৱা, শোণিতপুৰত বাণ-কৃষ্ণ বা 'হৰ-হৰি' যুদ্ধৰ পৰিণামত বাণ-কৃষ্ণ বা শৈৱ-বৈষ্ণৱৰ মাজত অপূৰ্ব্ব সন্ধিস্থাপন আৰু তাৰ মূল ঘটনা 'কুমাৰ-হৰণ' আৰু 'উষা-হৰণ' ইত্যাদি কামৰূপীয়া বুৰঞ্জীমূলক ঘটনাৱলী কৃষ্ণবিনে টিকিব নোৱাৰে। অকল সেয়ে নহয়, শ্ৰীকৃষ্ণৰ স্থিতি চতুৰ্দ্দশ-পঞ্চদশ খ্ৰীষ্টপূৰ্ব্বাব্দৰপৰা লৰাবলৈ গলে, ভাৰতবৰ্ষৰ বুৰঞ্জীত ভালেমান লৰচৰ ঘটিব,—বৰ্ত্তমান প্ৰচলিত ভাৰত-বুৰঞ্জীত অযাচিতে এটা বিপুল সংস্কাৰৰ ধলবিপ্লৱ আহি পৰিব। অলমতি বিস্তৰেণ। ইতি -

তেজপুৰ, অসম
২১ ভাদ, ১৮৫২ শক

কৃষ্ণপাদ,
শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

আদ্যলীলা খণ্ড

(আঁতিগুৰিৰপৰা চৈধ্য বছৰীয়া বয়সলৈকে)

প্ৰথম আধ্যা

প্ৰথম ছেদ

আঁতিগুৰি

মৰীচি[১] শ্ৰীকৃষ্ণবংশবৃক্ষৰ আঁতি-গুৰি। মৰীচিৰ পুত্ৰ কশ্যপ, কশ্যপৰ পুত্ৰ বিৱস্বান, বিৱস্বানৰ পুত্ৰ শ্ৰদ্ধাদেৱ। শ্ৰদ্ধাদেৱ পাচত বৈৱস্বত মনু নামে খ্যাত। মনুৰ দুই সন্তান,—সুদ্যুম্ন পুত্ৰ, আৰু ইলা কন্যা[২]। সুদ্যুম্নৰপৰা সূৰ্য্যবংশ আৰু ইলাৰপৰা চন্দ্ৰবংশৰ উৎপত্তি। ইলা চন্দ্ৰকুমাৰ বুধৰে সৈতে বিবাহিতা[৩]। ইলা-চন্দ্ৰকুমাৰৰ পুত্ৰ পুৰুৰবা, উৰ্ব্বশী পুৰুৰবাৰ পত্নী। উৰ্ব্বশী-পুৰুৰবাৰ পুত্ৰ আয়ু; আয়ুৰ পুত্ৰ নহুষ, নহুষৰ পুত্ৰ যযাতি। যযাতিৰ দুই ভাৰ্য্যা,—দেৱযানী আৰু শৰ্ম্মিষ্ঠা। দেৱযানীৰ গৰ্ভজাত যদু আৰু তুৰ্ব্বসু; শৰ্ম্মিষ্ঠাৰ গৰ্ভজাত দ্ৰুহ্যু, অনু আৰু পুৰু,—যযাতিৰ এই পাঁচ পুত্ৰ। যদুৰপৰা যাদৱ আৰু পুৰুৰপৰা কুৰু-পাণ্ডৱৰ বংশ বাঢ়ি যায়। যদুৰ চাৰি পুত্ৰ,—মাধৱ (মধু), সত্বত, বৃষ্ণি আৰু অন্ধক। মাধৱ কালত মধু নামে খ্যাত হয়। মধুৰ পুত্ৰ লৱণ। সত্বতৰ পুত্ৰ ভীম। বৃষ্ণিৰ বংশধৰ চিত্ৰৰথ। চিত্ৰৰথৰ দুই পুত্ৰ,– পৃথু আৰু বিদুৰথ। দ্ৰুহ্যুৰ পুত্ৰ ভোজ (১ম), ভোজৰ বংশধৰ সুৰসেন, সুৰসেনৰ পুত্ৰ আহুক। আহুকৰ দুই পুত্ৰ,– উগ্ৰসেন আৰু দেৱক। উগ্ৰসেনৰ পুত্ৰ কংস, দেৱকৰ কন্যা দৈৱকী। বিদুৰথৰ পুত্ৰ শিনি; শিনিৰ বংশধৰ ভোজ (২য়); ভোজৰ পুত্ৰ সুৰ; সুৰৰ পুত্ৰ বসুদেৱ। বসুদেৱৰ ভাৰ্য্যা দৈৱকী, দৈৱকী-বসুদেৱৰ পুত্ৰ **শ্ৰীকৃষ্ণ**[৪]।

---

(১) মৰীচিৰ ওপৰ-পুৰুষৰ নাম জনা নাযায়, গতিকে পুৰাণাদিত তেওঁক সৃষ্টিকৰ্ত্তা ব্ৰহ্মাৰ মানসপুত্ৰ বোলা হৈছে। এতেকে, মৰীচিৰ ওপৰ-পুৰুষ অনাদি।

(২) শ্ৰীমদ্ভাগৱত প্ৰমুখ্যে কোনো-কোনো পুৰাণৰ মতে ইলা আৰু সুদ্যুম্ন দুই নহয়, এক, ইলাতে পুত্ৰ-কন্যা উভয়ৰ উদ্ভৱ।

(৩) মহাভাৰত বিষ্ণুপুৰাণ আৰু শ্ৰীমদ্ভাগৱতত মথুৰাৰ ৰাজ-পৰিয়াল যাদৱসকলক চন্দ্ৰবংশী বুলি ঠাৱৰোৱা হৈছে। কিন্তু, অলপ বিসঙ্গতি এই যে, তাত ইলাক বুধৰপৰা উদ্ভৱ বোলা হৈছে:—যেনে, চন্দ্ৰৰপৰা বুধ; বুধৰ পৰা ইলা, ইলাৰপৰা পুৰুৰবা। পিচে, 'হৰিবংশ' প্ৰমুখ্যে আন-আন প্ৰাচীন গ্ৰন্থাৱলীৰ মতে ইলা বৈৱস্বত মনুৰ হে জীয়াৰী, বুধৰ কন্যা নহয়, বুধৰে সৈতে বিবাহিতা হে। চন্দ্ৰৰপৰা বুধৰ উৎপত্তি নিৰ্দ্দেশ কৰা হৈছে হেতুকে, ইলাৰ গৰ্ভজাত বুধৰ পুত্ৰ পুৰুৰবাক চন্দ্ৰবংশী বুলি ধৰি, তেওঁৰ বংশধৰ যাদৱবৰ্গক চন্দ্ৰবংশী বুলি ঠাৱৰোৱা গৈছে।

(৪) শ্ৰীকৃষ্ণৰ জীৱনী-তথ্য মহাভাৰত, হৰিবংশ আৰু পৌৰাণিক ইতিহাস-পুৰাণৰপৰা সংগ্ৰহ কৰা যায়। পুৰাণ ১৮ খন:—(১) বিষ্ণুপুৰাণ, (২) ভাগৱত-পুৰাণ, (৩) ব্ৰহ্মপুৰাণ, (৪) পদ্মপুৰাণ, (৫) বায়ুপুৰাণ, (৬) নাৰদ-পুৰাণ, (৭) মাৰ্কেণ্ডেয় পুৰাণ, (৮) অগ্নিপুৰাণ, (৯) বৰাহ-পুৰাণ, (১০) স্কন্দপুৰাণ, (১১) লিঙ্গপুৰাণ, (১২) ভবিষ্য পুৰাণ, (১৩) মৎস্য পুৰাণ, (১৪) কূৰ্ম্মপুৰাণ, (১৫) গৰুড়-পুৰাণ, (১৬) বামন পুৰাণ, (১৭) ব্ৰহ্মাণ্ডপুৰাণ, আৰু (১৮) ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ। এই ১৮ খন পুৰাণৰ ভিতৰত মুঠেই ৯ খনত হে কৃষ্ণতথ্য পোৱা যায়; যেনে,—(১) বিষ্ণু-পুৰাণ, (২) ভাগৱত-পুৰাণ, (৩) বায়ুপুৰাণ, (৪) পদ্ম-পুৰাণ, (৫) স্কন্দপুৰাণ, (৬) কূৰ্ম্ম পুৰাণ, (৭) বামন পুৰাণ, (৮) ব্ৰহ্মপুৰাণ, আৰু (৯) ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ। এইবোৰ প্ৰাচীন গ্ৰন্থৰ ভিতৰত মহাভাৰত সবাতোকৈ প্ৰাচীন। মহাভাৰতৰ পাচত হৰিবংশ প্ৰাচীন। পুৰাণৰ ভিতৰত বিষ্ণুপুৰাণ আটাইতকৈ পুৰণি; তাৰ পাচতে ভাগৱত-পুৰাণ। বৰ্ত্তমান হাতত-পোৱাখন ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ সবাতোকৈ হুমলীয়া; আচলখন ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ সন্ধান অদ্যাপি পোৱা নাই এথোন।

শ্ৰীকৃষ্ণবংশবৃক্ষ—


অনাদি
মৰীচি
কশ্যপ
বিৱস্বান
শ্ৰদ্ধাদেৱ
(বৈৱস্বত মনু)
সুদ্যুম্ন
ইলা + বুধ (স্বামী)
পুৰুৰবা + উৰ্ব্বশী (ভাৰ্য্যা)
ইক্ষ্বাকু
আয়ু
নহুষ
দশৰথ
দেৱযানী + যযাতি + শৰ্ম্মিষ্ঠা (ভাৰ্য্যা)
(ভাৰ্য্যা)
শ্ৰীৰামচন্দ্ৰ
যদু
তৰ্ব্বসু
দ্ৰুহ্য
অনু
পুৰু
ভোজ (১ম)
মধ
সত্বত
অন্ধক
বৃষ্ণি
প্ৰবীৰ
লৱণ
ভীম
চিত্ৰৰথ
সুৰসেন
তংসু
আহুক
দুষ্মন্ত
পৃথু
বিদুৰথ
ভৰত
উগ্ৰসেন
দেৱক
শিনি
আজমীঢ
কংস
দৈৱকী
ভোজ (২য়)
কুৰু
সুৰ
প্ৰতীপ
বসুদেৱ + দৈৱকী (ভাৰ্য্যা)
শান্তনু
শ্ৰীকৃষ্ণ
ভীষ্ম
চিত্ৰাঙ্গদ
বিচিত্ৰবীৰ্য্য
ধৃতৰাষ্ট্ৰ
পাণ্ডু
(দুৰ্য্যোধনাদি) কৌৰৱ ফৈদ
পাণ্ডৱ ফৈদ (যুধিষ্ঠিৰাদি)

শ্ৰীকৃষ্ণৰ আঁতিগুৰি বিচাৰি আগবপৰা গুৰিলৈ সহজে বগাব পৰাকৈ হৰিবংশ, বিষ্ণুপুৰাণ, ভাগৱত-পুৰাণ আৰু মহাভাৰতৰপৰা ডাল ধৰি এজুপি কৃষ্ণবংশবৃক্ষ কৰি দিয়া গল। পুথিত এই বংশবৃক্ষৰ আগ তললৈ আৰু গুৰি ওপৰলৈ অঙ্কিত হৈছে। এই বৃক্ষৰ আগৰপৰা নামি আহি গুৰিৰ পঞ্চম পুৰুষৰ গালৈকে বগাই গলে, শ্ৰীকৃষ্ণ আৰু শ্ৰীৰামচন্দ্ৰৰ একেজন মূলপুৰুষক লগ পোৱাগৈ যায়। আৰু, তাৰ আগতে, আঁতি-গুৰিৰপৰা দশম পুৰুষত শ্ৰীকৃষ্ণ আৰু কৌৰৱ-পাণ্ডৱৰ একেজন মূলপুৰুষক লগ পোৱা যায়।

দ্বিতীয় ছেদ

মথুৰা

মথুৰাৰ আঁতি-গুৰি মধুবন। চন্দ্ৰবংশী সুপ্ৰসিদ্ধ ৰজা যযাতিৰ নাতি, স্বনামখ্যাত যদুৰ পুত্ৰ মাধৱ বা মধু যেতিয়া সেই ৰাজ্যৰ অধীশ্বৰ আছিল, তেতিয়া তেওঁৰ মধু নামানুসৰি সেই পুৰাতনীয়া ৰাজ্যৰ নাম মধুবন হয়। সেই কালত অযোধ্যাত হৰ্য্যশ্ব নামে ইক্ষ্বাকুৰ বংশধৰ এজন সূৰ্য্যবংশী ৰজা আছিল। কোনো কাৰণত তেওঁ দেশান্তৰিত হয়। সেই ছেগতে তেওঁ মধুবনৰ অধিপতি মধুৰ কন্যা মধুমতীক বিয়া কৰায়। তাৰ অলপ পাচতে মধু ৰজাৰ পৰলোক হোৱাত, জোঁৱায়েক হৰ্য্যশ্ব মধুবনৰ অধিপতি হয়[১], কিয়নো, মধুৰ পুত্ৰ লৱণ তেতিয়া নাবালক। কিন্তু, বছৰচেৰেকৰ পাচত, ভিনীহিয়েক হৰ্য্যশ্বৰ মৃত্যু হোৱাত, কোঁৱৰ লৱণে পিতৃ-সিংহাসন লাভ কৰে। সেই সূত্ৰতে মধুবনৰ ৰাজপাট আকৌ চন্দ্ৰবংশী ৰজাৰ অধিকাৰলৈ আহে। তাৰপৰা ভালেমান বছৰৰ অন্তৰত, সেই কালৰ অযোধ্যাৰ ৰজা শ্ৰীৰামচন্দ্ৰৰ সুমলীয়া ভায়েক শত্ৰুঘ্ন কোঁৱৰে লৱণৰ বংশধৰ ৰজাক ৰণত হৰুৱাই মধুবন ৰাজ্য তেওঁৰপৰা কাটি লয়, আৰু মধুবন ৰাজ্যৰ ৰাজধানী মথুৰা নগৰী স্থাপন কৰে[২]। সেয়ে মথুৰাৰ আঁতি-গুৰি। সেই নামেই কালত গোটেই মধুবনৰ নাম মথুৰা[৩] হয়। সেই হেতুতে মধুবন আকৌ সূৰ্য্যবংশী ৰজাৰ হাতলৈ পাৰ হৈছিল[৪], পিচে, বছৰদিয়েকৰ পাচত, যযাতিৰ নাতিৰ-নাতি সত্বত ফৈদৰ যাদৱ কোঁৱৰ ভীমে সেই ৰাজ্য পুনৰায় সূৰ্য্যবংশী ৰজাৰ হাতৰপৰা কাটি লয়। তেতিয়াৰপৰা ভোজবংশীয় সুৰসেনৰ ৰাজত্বলৈকে মথুৰা একেৰাহে যদুৰ[৫] বংশধৰ যাদৱবৰ্গৰ নিগাজী দখলত

---

(১) 'হৰিবংশ'—বিষ্ণুপৰ্ব্ব।

(২) 'ৰামায়ণ'ৰ মতেও শ্ৰীৰামচন্দ্ৰৰ ভায়েক শত্ৰুঘ্নই মধুবন দখল কৰি তাত মথুৰা নগৰ স্থাপন কৰে। সেই প্ৰসঙ্গত মধুৰ পুত্ৰ লৱণক শত্ৰুঘ্নই ৰণত হৰুৱাৰ কথাও আছে। এতেকে, শ্ৰীৰামচন্দ্ৰ যাদৱসকলৰ অতি পূৰ্ব্বপুৰুষৰ সমসাময়িক,—যদুৰপৰা মাথোন এক পুৰুষৰ অন্তৰত। সেই অনুসৰি শ্ৰীকৃষ্ণৰপৰা শ্ৰীৰামচন্দ্ৰ তেতিয়াৰ সাত, নাইবা এতিয়াৰ চৈধ্য পুৰুষমানৰ ওপৰত বয়গৈ। ৰামযুগৰ মানুহ কৃষ্ণযুগৰ মানুহতকৈ অধিকতৰ দীৰ্ঘজীৱী আছিল, এতেকে পুৰুষেপতি গড-মিলকৈ দুশ-আঢৈশ বছৰকৈ গণিলেও, শ্ৰীকৃষ্ণ আৰু শ্ৰীৰামচন্দ্ৰৰ আবিৰ্ভাৱৰ ব্যৱধান ২০০০ দুহেজাৰমান বছৰৰ ওপৰলৈ উধায়। গতিকে, এতিয়াৰপৰা খ্ৰীঃ পূঃ ২০০০+১৫০০ (কৃষ্ণ-জন্ম)+খ্ৰীঃ অঃ ১৯২৯=৫৪২৯ বছৰৰ আগেয়ে শ্ৰীৰামচন্দ্ৰই পৃথিৱীত জন্মগ্ৰহণ কৰে। আৰু, সেই গণনানুসাৰে মহাভাৰততকৈ ৰামায়ণ দুহেজাৰমান বছৰ আগ বাঢে।

(৩) মথুৰা এতিয়া ভাৰতবৰ্ষৰ উত্তৰ-পছিমাঞ্চলত যুক্তপ্ৰদেশৰ এখন বৰ ডাঙ্গৰ জিলা, যদ্যপি পূৰ্ব্বৰ নাম-গৌৰৱ এতিয়া তাৰ নাই।

(৪) সেই আপাহতে মথুৰাৰ যাদৱবৰ্গক সূৰ্য্যবংশী বুলি ধৰি, যদুমণি শ্ৰীকৃষ্ণক চন্দ্ৰ আৰু সূৰ্য্য দুয়োবংশে দাবী কৰে।

(৫) ঋগ্বেদ সংহিতাৰ দশম মণ্ডলত তিনিজন যদুৰ নাম পোৱা যায়:—যেনে, (১) যযাতিৰ পুত্ৰ যদু, (২) ইক্ষ্বাকুবংশীয় যদু, (৩) দাসবংশীয় যদু। শ্ৰীকৃষ্ণ এই তিনিজন যদুৰ কোন্ জনৰ বংশধৰ তাক ঋগ্বেদ সংহিতাই ভাঙি কব পৰা নাই। তথাপি, সংহিতাৰ এই সূত্ৰই এনে এটা জটিল প্ৰশ্নক বাট লগাই দিয়ে যে, যাদৱসকল চন্দ্ৰবংশী নে সূৰ্য্যবংশী? কিয়নো, যদু ইক্ষ্বাকুৰ বংশধৰ হলে যাদৱবৰ্গ সূৰ্য্যবংশী আৰু যযাতিৰ বংশধৰ হলে চন্দ্ৰবংশী বুলি গণ্য হয়।

থাকে। সেই পুৰণি ৰাজ্য মধুবন আজিকোপতি মথুৰা নামেই প্ৰখ্যাত।

সেই কালত মথুৰা ৰাজ্য যমুনা নৈৰ দুয়ো পাৰে বিস্তৃত আছিল। তাৰ পাচত, মথুৰা 'সুৰসেনক' নামেও জনাজাত হয়। কিয়নো, সত্বত ফৈদৰ যাদৱ কোৱঁৰ ভীমে সূৰ্য্যবংশী ৰজাৰ হাতৰপৰা উদ্ধাৰ কৰাৰ পাচত, কংসৰ উৰ্দ্ধপ্ৰপিতামহ ভোজৰ বংশধৰ কোৱঁৰ সুৰসেনে প্ৰবল প্ৰতাপেৰে মথুৰা ৰাজ্য শাসন কৰিছিল, গতিকে তেওঁৰ নামৰ খ্যাতি অনুসৰি তেওঁৰ দখলী সেই ৰাজ্যও 'সুৰসেনক' নামে খ্যাত হয়। মথুৰা যে এখন বৰ বহুল আৰু চহকী ৰাজ্য আছিল এনেও নহয়, কিন্তু ই সেই কালৰ মহা প্ৰতাপী আৰু অভিমানী আৰ্য্যবংশী লোকৰ বসতি থল আছিল। বিশেষকৈ, তেতিয়া ইয়াত মহা গৌৰৱী চন্দ্ৰবংশী যাদৱবৰ্গে বাস কৰিছিল। সিবিলাকৰ ভিতৰত বৃষ্ণি, ভোজ, অন্ধক, সত্বত, মাধৱ, কুকুৰ, দশৰহ—এই কেইফৈদ সুপ্ৰখ্যাত আছিল।

মথুৰা নগৰী যমুনা নৈৰ পাৰত এটা সুগঠিত দুৰ্গৰ মাজত অৱস্থিত। দুৰ্গৰ বাহিৰে, চকুৰে মণিব পৰালৈকে, গোটেই ৰাজ্যজুৰি চউপাশে ঘনশ্যাম আৰু সেউজীয়া ঘাঁহনিৰে চামনিমৰা অপাৰ চাপৰি, ঠায়ে-ঠায়ে একো-একোটা ওখ টঙ্গি, মাজে মাজে দুই-চাইটা টাম্বুঘৰ, অ'ত-ত'ত দুখন-চাৰিখনকৈ অঘৰী-গাওঁ, চাই থাকিলে চকু জুৰাই যায়, দুখ-ভাগৰৰ বোধ নোহোৱা হয়। যি ফালেই মুখ কৰা যায়, সেই ফালৰপৰাই প্ৰকৃতিৰ সৌন্দৰ্য্যে মন-প্ৰাণ হৰি নিয়ে। এনে সৌন্দৰ্য্যৰ মাজে মাজে ৰাজ্যজুৰি কেইওফালে আহল-বহল অসংখ্যাত সেন্দুৰীয়া আলিবাট। সেইবোৰ আলিবাটেদি সততে ৰণুৱাৰ ৰথ, চেৱাৰীৰ ঘোঁৰা, আৰোহীৰ হাতী, আৰু বোজাবোৱা বলদ, গাধ, উট্ আদিৰ লানীনিছিগা চলাচল। চমুকৈ কবলৈ গলে, ৰণ-বিগ্ৰহ, বেহা-বেপাৰ, খেতি-পথাৰ, কল-কাৰখানা ইত্যাদি কাৰ্য্যকুশলতাৰে সৈতে চহৰখন সততে সজাগ। সেই চিৰসজাগ ৰাজ্যৰ মাজত বৃষ্ণিবংশী আৰু ভোজবংশী কোৱঁৰসকল সততে আগৰণুৱা হৈ চৌপাশে জিলিকি ফুৰে। স্বৰূপত, সেই কালত সিবিলাকেই মথুৰা ৰাজ্যৰ আচল অধিপতি আছিল, আৰু সিবিলাকৰ প্ৰবল প্ৰতাপৰ প্ৰভাৱত মথুৰা নগৰী সমগ্ৰ আৰ্য্যাবৰ্ত্তৰ গৌৰৱৰ কেন্দ্ৰস্থল হৈ জিলিকিছিল। সেই জিলিকনিৰ ৰেখ্ এতিয়া দেখিবলৈ নাই যদিও, সোৱঁৰণী মাৰ যোৱা নাই।*

তৃতীয় চ্ছেদ

গোকুল

যমুনাৰ সিপাৰে, মথুৰাৰপৰা ছমাইলমান দূৰৈত, সুবহুল ঘাঁহনি চাপৰিৰে সৈতে এখনি অতি মনোৰম ঠাই আছিল, তাৰ নাম গোকুল। ঠাইডুখৰি সুন্দৰ ঘাঁহ-বন, গছ-গছনি, নৈ-নিজৰা আদিৰে সৈতে পৰিপূৰ, দেখিবলৈ বৰ শুৱনি, আৰু গৰু-ছাগলী আদি পোহনীয়া জন্তু চৰাবলৈ বৰ সুচল ঠাই। সেই কাৰণে ই অঘৰী[১] মানুহৰ বসতি-থল আছিল। আমি যি কালৰ কথা কবলৈ ধৰিছোঁ, সেই কালত ইয়াত এবিধ বিচক্ষণীয়া অঘৰী মানুহে বাস কৰিছিল, সিবিলাক গোপ (গুৱাল) নামে জনাজাত। সেই গোপবৰ্গৰ গৃহিণী আৰু বোৱাৰী-জীয়াৰীবিলাকক গোপিনী বোলা যায়। সেই গোপিনীসকলৰ চৰিত্ৰ অতি বিচিত্ৰ, অতি বিশুদ্ধ, আৰু অতি প্ৰাকৃতিক ধৰণৰ আছিল। সিবিলাকৰ উদাৰ ভাব, নিঃস্বাৰ্থ প্ৰেম আৰু নিস্পৃহ ভকতি অতি মনোৰম, অতি বিতোপন, আৰু অতি অনুপম, পৰোপকাৰ সিবিলাকৰ মহাব্ৰত, পশুপালন সিবিলাকৰ মহান কৰ্ত্তব্য, প্ৰকৃতিপূজা সিবিলাকৰ মহাধৰ্ম্ম, গৃহস্থালীত সিবিলাক সুনিপুণা, আৰাধনাত সিবিলাক ৰাধিকা, আনন্দত সিবিলাক আপোন-পাহৰা;—মুঠতে,

* (ক) 'হৰিবংশ',—হৰিবংশ পৰ্ব্ব।
(খ) শ্ৰীমদ্ভাগৱত,—দশম স্কন্ধ, ১৯—২৩ শ্লোক।
(গ) ঋগ্বেদসংহিতা—দশম মণ্ডল, ৪৮—৪৯ শ্লোক।

(১) চিৰস্থায়ী ঘৰ-বাৰী নোহোৱা মানুহ হেতুকে সিবিলাকক অঘৰী বোলা হৈছে। সিবিলাক এবিধ পমুৱা মানুহ আছিল।

আনন্দময়ী প্ৰকৃতি সিবিলাকত সম্পূৰ্ণে বিকশিত। গোকুলৰ গোপ আৰু ব্ৰজৰ গোপিনী পৃথিবীত নৰ-নাৰীৰ অতি নিৰ্ম্মল আদৰ্শ আছিল। এই গোপ-গোপিনী লৈয়ে গোকুল আৰু ব্ৰজ। গোকুলৰ গোপ আৰু ব্ৰজৰ গোপিনীৰ মাধুৰ্য্য পাচত যথাঠাইত যথাৰতকৈ বহলাই বৰ্ণোৱা হৈছে।

চতুৰ্থ ছেদ

ব্ৰজ

ব্ৰজ গোকুলৰে সৈতে একে-কঠি এটা সুন্দৰ চাপৰি। একেবিধ মানুহেই ব্ৰজ আৰু গোকুল দুয়ো চাপৰিতে বাস কৰিছিল। আটাইবিলাককে ব্ৰজবাসী বোলা যায়। ব্ৰজ চাপৰিত সিবিলাকে টঙ্গি আৰু টাম্বুঘৰ[১] সাজি লৈ নিজৰ ল'ৰা-ছোৱালী আৰু গৰু-ছাগলী আদিৰে সৈতে বাস কৰিছিল। কিন্তু, সিবিলাক একে ঠাইতে থিতাপিত হৈ থকা বিধৰ মানুহ নহয়,—য'তে গৰু-ছাগলী আদি পশু-পালনৰ সুচল পোৱা যায়, ত'লৈকে সিবিলাক উঠি যায়। সেই আপাহতে হে এই ব্ৰজবাসী গোপ[২] বিলাকক ওপৰত অঘৰী বোলা হৈছে। চিৰস্থায়ী ঘৰ-বাৰী নাই যদিও, সেই কালত গোপবৰ্গৰ প্ৰতিপত্তি আৰু জনবল সামান্য নাছিল। সিবিলাক আত্মবলেৰে বলী এটা প্ৰখ্যাত জাতি আছিল। সিবিলাকে কাৰো চত্ নোহোৱাকৈ আপোন প্ৰতিপত্তিৰ ওপৰত ভিৰ দি চলি আপোনাৰ মাজত আপুনি এখনি সৰু অথচ মনোৰম ৰাজ্য বিতোপনকৈ চলাইছিল। কিন্তু, সিবিলাক অতি শান্তিপ্ৰিয় মানুহ আছিল, আৰু সিবিলাকে কাচিতো উপ্যাচি আনৰ অপকাৰ নকৰিছিল।

আমি যি কালৰ কথা কৈছো, সেই কালত গোপবৰ্গ মথুৰাৰ যাদৱৰাজৰ কৰতলীয়া আছিল; আৰু তেতিয়া গোপৰাজ নন্দ ব্ৰজৰ অধিপতি আৰু তেওঁৰ পত্নী যশোদা ব্ৰজেশ্বৰী। পিতৃ-মাতৃৰূপে নন্দ-যশোদা পৃথিবীৰ আদৰ্শ দম্পতী। পৰপুত্ৰকো আপোন কৰিব পৰা গুণত নন্দ-যশোদা মৰ্ত্ত্য-জগতৰ অনুপম চানেকী। ইবিলাক দুয়ো অতি অমায়িক। দেশৰ হৈ স্বাৰ্থ ত্যাগ কৰাত ইবিলাক আৰ্হি-চৰিত। এনে ত্যাগী নৰ-নাৰী জগতত বিৰল। নন্দ-যশোদাৰ অপত্য-প্ৰেমত স্বয়ং ভগবানো বিভোল!

পঞ্চম ছেদ

বৃন্দাবন

মথুৰা নগৰৰ পছিম সীমাৰপৰা পাঁচ মাইলমান পছিমে যমুনাৰ মূলৰপৰা যমুনামুখলৈকে জুৰি, এখনি অতি বিতোপন সুবহল বন আছিল, তাৰ নাম বৃন্দাবন। বৃন্দাবনৰ পছিম প্ৰান্তত ঘাঁহনি-চাপৰি ভেদি উঠা এটি অতি মনোহৰ সৰু পৰ্ব্বত অৱস্থিত। পৰ্ব্বতটি কদম, বকুল, তমাল এনেবোৰ গুৰনি গছেৰে ভৰপূৰ। সেই গছবোৰৰ ডালত পৰি কুলি, কপৌ, কেতেকী, চাকৈ, বিহুৱতী আদি সুশ্ৰী আৰু সুকণ্ঠী পখীয়ে কেইওপ্ৰসঙ্গত মনমোহা গীত গায়। তাৰ তলে-তলে হৰিণা, সুগৰি, মৃগনাভী (গান্ধ-হৰিণা), ম'হ, মেঠোন আদি ধুনীয়া জন্তুবোৰে মুকলি মনেৰে চলন-ফিৰণ

(১) কাপোৰেৰে কেইবাতৰপীয়াকৈ তৰা এবিধ মাটি-টঙ্গি।

(২) কোনো-কোনো পুৰাণত গোপবৰ্গক আৰ্য্যজাতি বুলিয়েই ঠাৱৰাইছে। কোনো-কোনোৱে নন্দৰাজক বসুদেৱৰ দদায়েকৰ পুতেক বুলি কয়। বসুদেৱৰ দদায়েকৰ ঔৰসত এগৰাকী বৈশ্য ৰমণীৰ গৰ্ভত নন্দৰ জন্ম বুলি কোনোৱে ঠাৱৰায়। কোনো-কোনো পুৰাণত এই গোপ-বৰ্গক বৈশ্য শ্ৰেণীৰ আৰ্য্যজাতি বুলি থিৰাংকৈ ধৰা হৈছে। কিন্তু দৰাচলতে, ইবিলাক এবিধ আৰ্য্যাবৰ্ত্তৰ উন্নত শ্ৰেণীৰ আদি অধিবাসী। কালক্ৰমত আৰ্য্যৰ সংসৰ্গত পৰি, আৰু আৰ্য্যধৰ্ম্ম গ্ৰহণ কৰি, গোপবৰ্গ আৰ্য্যৰ সমানে সভ্য, জ্ঞানী আৰু মানী হৈ উঠিছিল। সেই আপাহতে কোনো কোনো পুৰাণে গোপসকলক কায়স্থ বুলি নিৰ্ণয় কৰিছে,—'নন্দ ঘোষ' তাৰ এটা জ্বলন্ত প্ৰমাণ।

কৰে। ইত্যাদি বিভূতিৰে সৈতে পৰ্বতটি ৰাজে-ভিতৰে স্বাভাৱিক শোভাৰ এটি লাৰু যেন। আজিকোপতি তাৰ সেই পুৰণি জেউতি সমূলঞ্চে মাৰ যোৱা নাই।—সেই পৰ্ব্বতটিৰ নাম গোবৰ্দ্ধন। গোবৰ্দ্ধনৰ সোঁৱে, বাঁৱে আৰু সমুখেদি নিমজ ঘনশ্যাম দুবৰিবনেৰে আবৃত অপাৰ চাপৰি। গোটেই আৰ্য্যাবৰ্ত্তৰ স্বাভাৱিক শোভা জিনি বৃন্দাবন জিলিকি আছিল, সেই জিলিকনিৰ কেন্দ্ৰৰূপে গোবৰ্দ্ধন জিলিকিছিল।[১]

বৃন্দাবনৰ মাজে-মাজে কেইজাতমান বন-মানুহৰ বসতি আছিল, তাৰ মাজত নাগ নামে এজাত বৰ প্ৰতাপী আৰু ভীষণ প্ৰকৃতিৰ মানুহ আছিল। সিঁহতে আদিতে মথুৰাৰ আশে-পাশে বসতি কৰিছিল, পিচে, আৰ্য্য জাতিয়ে সিঁহতক তাৰপৰা নিলগাই খেদি, সিঁহতৰ দখলত থকা সাৰুৱা মাটিবোৰ কাঢ়ি লোৱাৰ লগতে মধুবন বা মথুৰা ৰাজ্য আৰ্য্যৰ অধিকাৰলৈ আহে। তাৰ পাঁচত, সেই খেদা-খোৱা বনমানুহবিলাকে বৃন্দাবনৰ মাজে-মাজে ঠাই ললেগৈ। তেতিয়াৰপৰাই নাগ জাতি[২] প্ৰমুখ্যে এই বনমানুহবিলাক বৃন্দাবনৰ আদিবাসী মানুহ। ইঁহত হাবিতলীয়া বুলিও, শাসন-সংক্ৰান্ত বিষয়ত সেই কালৰ মথুৰাৰ অধিপতি যাদৱসকলৰ সংসৰ্গত আছিল।

গোকুলৰপৰা উঠি গৈ, নন্দৰাজ প্ৰমুখ্যে গোপবৰ্গ বৃন্দাবনত খিতাপিত হোৱাৰ আগলৈকে নাগ জাতিয়েই তাৰ অধিকাৰী আছিল। সেই কালত সেই নাগৰাজ্যৰ অধিপতি আছিল কালিয নামে এজন সৰ্পসদৃশ্ ভীষণ প্ৰকৃতিৰ লোক। তেওঁৰ বিষয়ে পাচত বহলাই কোৱা হৈছে। এতেকে, ব্ৰজ, গোকুল আৰু বৃন্দাবন তিনিও খণ্ডকে একেকঠাৈকে ব্ৰজ বুলি ধৰি, কালিয় প্ৰমুখ্যে নাগ জাতি আৰু প্ৰলম্ব[৩] প্ৰমুখ্যে দানৱ জাতিকো আদি-ব্ৰজবাসী বোলা যায়।

দ্বিতীয় আধ্যা

কংস ৰজা

সত্বত ফৈদৰ যাদৱ কোৱঁৰ ভীমে সূৰ্য্যবংশী ৰজাৰ হাতৰপৰা মথুৰা পুনৰুদ্ধাৰ কৰাৰ পাচত, চন্দ্ৰবংশী যাদৱ ৰজাসকলে বহুকাল একেৰাহে সেই ৰাজ্য ভোগ কৰে। সিবিলাকৰ ভিতৰত বৃষ্ণি, সত্বত, অন্ধক, কুকুৰ, ভোজ এই কেইফৈদ প্ৰধান। সদোশেহত ভোজফৈদীয়া সুৰসেন নামে এজন ৰজা বৰ প্ৰতাপী আৰু প্ৰখ্যাত হৈ উঠে। এনে কি, তেওঁৰ ৰাজক্ষমতা আৰু প্ৰবল প্ৰতাপলৈ চাই, লোকে তেওঁকেই মথুৰাৰ স্থাপনকৰ্ত্তা বুলি আখ্যা দিছিল[৪]।

সুৰসেনৰ পাচত, তেওঁৰ বংশধৰ ভালেমান কোৱঁৰে মথুৰাত ৰাজত্ব কৰে। তাৰো পাচত, সেই ফৈদৰ উগ্ৰসেন নামে এজন কোৱঁৰ বৰ প্ৰখ্যাত ৰজা হৈ উঠে। উগ্ৰসেন ভোজবংশৰ যাদৱৰাজ আহুকৰ পুত্ৰ। আহুকৰ আৰু এজন পুত্ৰ আছিল, তেওঁৰ নাম দেৱক[৫]। এই দুই ককাই-ভাইৰ ভালেমান পুত্ৰ কন্যাৰে[৬] সৈতে সুবহুল বংশ বৃদ্ধি হয়, তাৰ ভিতৰত উগ্ৰসেনৰ ৰৰপুত্ৰ কংস আৰু দেৱকৰ সুমলীয়া কন্যা দৈৱকীৰ নাম বিশেষকৈ লবলগীয়া। কিয়নো, এই দৈৱকী দেৱীয়েই শ্ৰীকৃষ্ণৰ জনম-দিয়া আই, আৰু এই

(১) বিষ্ণুপুৰাণৰ পঞ্চম খণ্ডৰ ৭ম ছেদত, শ্ৰীমদ্ভাগৱত দশম স্কন্ধৰ ১৬শ আধ্যাত আৰু 'হৰিবংশ'ৰ বিষ্ণুপৰ্ব্বৰ ৬৭ম আধ্যাত বৃন্দাবন বহলাই বৰ্ণোৱা হৈছে।

(২) পুৰাণত এই নাগ জাতীয় বনমানুহক সঁচাসঁচিকৈ সাপ বুলি হে বৰ্ণোৱা হৈছে। নাগ মানে সাপ। সেই আপাহতে সেই জাতি মানুহক পুৰাণকাৰসকলে সাপৰ লেখত ধৰিলে। কিন্তু স্বৰূপত সিঁহত সাপ নহয়, সৰ্পসদৃশ্ এজাত ভীষণ প্ৰকৃতিৰ বনমানুহ হে।

(৩) পাচত, 'প্ৰলম্ব-বধ' নামে একাধ্যা সুকীয়াকৈ দিয়া হৈছে।

(৪) সেই আপাহতে, সুৰসেনৰ নাম অনুসৰি মথুৰা ৰাজ্যৰ আন এটা নাম 'সুৰসেনক' হয়।—১ম, আধ্যাৰ দ্বিতীয় ছেদ।

(৫) (ক) বিষ্ণুপুৰাণ, তৃতীয় খণ্ড, ১৪শ ছেদ।

(খ) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৪শ আধ্যা।

(৬) উগ্ৰসেনৰ ৯ জন পুত্ৰ আৰু ৫ গৰাকী কন্যা; দেৱকৰ ৪ জন পুত্ৰ আৰু ৭ গৰাকী কন্যা আছিল।—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৪শ আধ্যা।

কংসই শ্ৰীকৃষ্ণৰ জনম ব্যৰ্থ কৰিবলৈ পণ কৰোঁতা তেওঁৰ প্ৰাণবৈৰী মোমায়েক।

সেই সময়ত আন এটা ঠালৰ প্ৰতাপী যাদৱ কোৰঁৰ আছিল বৃষ্ণিবংশধৰবৰ্গ। এই ফৈদৰ ভালেমান কোৰঁৰে মথুৰা-ৰাজ্যৰ বিবিধ ৰাজকীয় বিষয়-বাব ভোগ কৰে। শেহান্তৰত, ভোজবংশী ৰজা উগ্ৰসেনৰ আমোলত, শূৰসেন নামে বৃষ্ণিবংশী এজন কোৰঁৰ বৰ প্ৰতাপী আৰু প্ৰখ্যাত হৈ উঠে। তেওঁৰ দহ জন পুত্ৰ আৰু পাঁচ গৰাকী জীয়াৰী আছিল। সেই দহ জন পুত্ৰৰ ভিতৰত সবাতকৈ বৰ জনৰ নাম বসুদেৱ। এই বসুদেৱেই শ্ৰীকৃষ্ণৰ জন্মদাতা পিতৃ। বসুদেৱৰ দহ গৰাকী ভাৰ্য্যা আছিল; সিবিলাকৰ ভিতৰত ৰোহিণী দেৱী সবাতকৈ বৰ, আৰু দৈৱকী দেৱী সবাতকৈ সৰু। এই ৰোহিণী-দৈৱকীয়েই ৰাম-কৃষ্ণৰ জন্মদাতৃ মাতৃ। ইবিলাক দুগৰাকীয়েই ৰাম আৰু কৃষ্ণ নামে মানৱশ্ৰেষ্ঠ অসাধাৰণ যাদৱ কোৰঁৰদ্বয়ক নিজ-নিজ গৰ্ভত ঠাই দি, মথুৰাবাসীক সেই কালৰ মহা আপদৰপৰা নিস্তাৰ কৰে।

কংস সৰুৰেপৰা অতি নিষ্ঠুৰ, অহঙ্কাৰী আৰু উধত্ স্বভাৱৰ ল'ৰা আছিল; বয়সৰ লগে লগে তেওঁৰ সেই কু-স্বভাৱ চৰি আহিবলৈ ধৰিলে। তাতে, সেই কালৰ মহা পৰাক্ৰমী মগধৰ অধিপতি জৰাসন্ধৰ জোঁৱাই[1] হবলৈ পাই কংসই মথুৰাত কাকো গণিতা নকৰা হল। বুঢ়া-ৰজা পিতাক উগ্ৰসেন নামত মাথোন বহি-ৰজা; আচল উঠি-ৰজা আছিল কংস। সি যি হওক, কংসৰ কিন্তু ভনীয়েক দৈৱকীলৈ বৰ মৰম। আন কি, দৈৱকীৰ আনন্দৰ অৰ্থে দুৰ্দান্ত কংসই নিজৰ পাশৱিক প্ৰিয়কাৰ্য্যৰপৰাও সময়ত ক্ষান্ত হোৱাৰ পটন্তৰ পোৱা যায়।

দৈৱকীৰ বিয়াত কংসৰ মহা আনন্দ মিলিল। বিশেষকৈ সমান মৰ্য্যাদাৰ একে যাদৱবংশী সেই কালৰ মহা প্ৰতাপী বৃষ্ণি ফৈদৰ প্ৰখ্যাত কোৰঁৰ বসুদেৱলৈ চেনেহৰ ভনীয়েক দৈৱকীক বিয়া দিবলৈ পাই কংসৰ মনত অহঙ্কাৰৰ সীমা নোহোৱা হ'ল। বিয়া-সংক্ৰান্ত সকলো লাগতিয়াল আৰু দেখনীয়া কাম-বন কংসই স্বয়ং সম্পাদন কৰিহে সুখ পাইছিল। গতিকে, বিয়াৰ সামৰণিত দৰা-কন্যাক দৰাৰ ঘৰলৈ শোভাযাত্ৰা কৰাওঁতে কংসই নিজে ৰথৰ বাঘজৰী ধৰি সাৰথিৰ বাব লৈছিল। ৰাজ-আলিৰ দুয়োকাষে অসংখ্যাত দৰ্শকবৃন্দৰ মাজেদি মহা আড়ম্বৰেৰে আৰু পৰম উলাহেৰে কংসই ৰথ চলাই নিছে, বিবিধ বিবাহ-বাদনৰ ধ্বনি গগন ভেদি উঠিছে, দুশাৰী যোজনব্যাপী আলিকাষৰীয়া দৰ্শক-বৃন্দৰ সৰল অন্তৰৰপৰা ব্যক্ত হোৱা আশীৰ্ব্বাদৰ উৰ্দ্ধাধো বাৰে আকাশ পাতাল টাকি পেলাইছে, এনেতে অকস্মাৎ সেই সম্মিলিত ৰাইজৰ ৰাৱ তল পেলাই এই বুলি এটা হৃৎপিণ্ড কঁপোৱা গিৰ্জ্জনি মিৰ্‌মিৰ্‌কৈ উঠিল, "যাৰ বিয়াত অবোধ কংস আনন্দত ইমান উধাও হৈছে, সেই দৈৱকীৰ অষ্টম গৰ্ভজাত সন্তানৰ হাততে কংসৰ ধ্বংস![2]" সেই অভিশাপসূচক গিৰ্জ্জনি কাৰ কণ্ঠৰপৰা ওলাই প্ৰতিধ্বনিত হৈছিল, তাক ঠাৱৰাবৰ উপায় নাছিল। সেই কাৰণে, পুৰাণকাৰসকলে তাত 'আকাশী বাণী'ৰ ৰহণ সানি তাক 'দৈৱবাণী' ৰূপে অতিৰঞ্জিত কৰিছে যেন বোধ হয়।

আৰু, কংসৰ অত্যাচাৰত মথুৰাবাসী অস্থিৰ; যাদৱ-বৰ্গৰ প্ৰাণত শান্তি নাই, তেওঁৰ আত্মপৰিয়ালৰ অন্তৰতো সন্তাপৰ অন্ত নাই। এনে স্থলত, সেই দুৰ্দান্ত কংসৰ পতন মথুৰাবাসী মাত্ৰকেই কামনা কৰাটো নিচেই স্বাভাৱিক। গতিকে, ৰাইজৰ সেই বাঞ্ছিত কংস-পতন কাল কেতিয়া কিমতে মিলিব তাৰ 'মঙ্গল-চোৱা' আৰু জ্যোতিষ্-গণনা কৰাটোও অসম্ভৱ নহয়। হিন্দু-শাস্ত্ৰালোচনাৰ সেই চূড়ান্ত উন্নতিৰ দিনত কংসপতনৰ কাল নিৰ্ণয় কৰি জ্যোতিষী গণনাৰ ফল লাভ কৰি থোৱাটোও আচৰিত নহয়। সেই

(১) মগধ এতিয়াৰ দক্ষিণ-বিহাৰ। জৰাসন্ধ মগধৰ অদ্বিতীয় প্ৰতাপী ৰজা। শাৰীৰিক শক্তিতো তেওঁ ভীমৰ সমনীয়া বীৰ আছিল। কংসই জৰাসন্ধ ৰজাৰ দুগৰাকী জীয়াৰী বিয়া কৰাইছিল।

(২) 'হৰিবংশ', বিষ্ণুপুৰাণ, শ্ৰীমদ্ভাগৱত আৰু আন-আন পুৰাণত এই গিৰ্জ্জনিক 'আকাশী বাণী' বা 'দৈৱবাণী' বোলা হৈছে। পুৰাণাদিৰ সেই আখ্যা সমূলক্ষে অমূলক নহয়। কিয়নো, যাৰ উৎপত্তিস্থল অদৃশ্য, তাকে আকাশী বুলিব পাৰি। অৰ্থাৎ, আকাশৰ অস্তিত্ব দেখা পোৱা নাযায়, সি শূন্যময়; গতিকে, আকাশসদৃশ, শৰদক 'আকাশী বাণী' বোলা অসঙ্গত নহয়। সেই সূত্ৰতে ধৰি, অপ্ৰত্যক্ষ মূৰ্ত্তৰপৰা ব্যক্ত হোৱা বাণীক দৈৱবাণীও বোলা যায়। সেই দিনা দৰা-কন্যাৰ শোভাযাত্ৰাত জনতাৰ ভিৰ ভেদি সেই

অভাবনীয় আপদীয়া গিৰ্জ্জনি শুনি সকলো স্তম্ভিত হল, শোভাযাত্ৰাৰ অসংখ্যাত দৰ্শকবৃন্দ ঠৰ লাগিল, ৰাজ-আলিৰ ওপৰলৈ উধাই শূন্যমাৰ্গ ছাটি পেলোৱা জনৰৱ মাৰ গৈ নিজম পৰিল, ক্ষন্তেকৰ নিমিত্তে গোটেই জগত তৱধ লাগিল! কংসৰ মানত অকস্মাৎ স্বৰগ ভাগি মূৰত পৰাৰ নিচিনা হ'ল! ক্ষন্তেকমান স্বৰগ-পৰা মানুহৰ সদৃশ্ কংস জঠৰ হ'ল। কিন্তু, পিচমুহূৰ্ত্ততে তেওঁৰ স্বৰূপ স্বভাৱে তেওঁত পুনঃ থিত্ দিলে,—আত্ম-নাশৰ আশঙ্কাত উন্মত্ত হৈ কংসই ততালিকে বাঘজৰী এৰি, উলটি ভনীয়েক দৈৱকী-কন্যাৰ চুলিত ধৰি, কণ্ঠ আৰু পিঠি ভিৰাই লৈ, কঁকালত বন্ধা তৰোৱাল ফাঁকৰপৰা উলিয়াই লৈ একেঘাপে ভবিষ্যত অপায় খণ্ডাই থবলৈ উদ্যত হ'ল। এনেতে, নিৰস্ত্ৰ বসুদেৱে উপায়ান্তৰ হৈ কংসক কাকুতি কৰি ততালিকে এই বুলি অঙ্গীকাৰ কৰিলে যে, তেওঁ দৈৱকীৰ গৰ্ভজাত প্ৰত্যেকটি সন্তান প্ৰসৱ হোৱা মাত্ৰকে কংসক অৰ্পণ কৰিব, এতেকে তেওঁ অভিশাপ-গিৰ্জ্জনিৰ ফলাফললৈ আশঙ্কা কৰাৰ সকাম নাই। দৈৱকী দেৱীয়েও প্ৰাণৰ মমতাত আৰ্ত্তৰাৱ কাটি মৰমৰ ককায়েকৰ ওচৰত প্ৰাণভিক্ষা কৰিলে, উপস্থিত শোভাযাত্ৰী আৰু দৰ্শকবৃন্দেও সম্মিলিত কণ্ঠেৰে বৰ-কন্যাৰ হৈ কংসত ক্ষমা-প্ৰাৰ্থনা জনালে।—পিচে, সিমানতে এফেৰিমান শান্ত হৈ কংস সেই ক্ষন্তেকৰ কাৰণে ক্ষান্ত হ'ল।

সেই দিনাৰ নিমিত্তে সিমানতে নিশ্চিন্ত হল যদিও, সেই ৰাতিৰপৰা প্ৰাণৰ আশঙ্কাত কংসৰ মন আকৌ অস্থিৰ হবলৈ ধৰিলে। সেই প্ৰাণান্তক অদ্ভুত গিৰ্জ্জনি তেওঁ চঁকি-চঁকি দিঠকতে শুনে, আৰু থাকি থাকি ভয়ত বিহ্বল হৈ উন্মাদৰ দৰে জঁপিয়াই উঠে। পাচলৈ এনে হবলৈ ধৰিলে যে, দৈৱকী আৰু বসুদেৱৰ নাম শুনিলেই কংসৰ প্ৰাণত উচাটন লাগি উঠে। সেইদিনা সেই গিৰ্জ্জনিত দৈৱকীৰ অষ্টম গৰ্ভজাত সন্তানৰ হাতত হে কংসৰ ধ্বংস হোৱাৰ নিৰ্দ্দেশ পোৱা গৈছিল, কিন্তু কেঁচুতো সাপ দেখাৰ দৰে, পাচলৈ বসুদেৱৰ সন্তান বুলিলেই তাৰ প্ৰতি কংসই সন্দেহৰ চকুৰে চোৱা হল। ফলিতাৰ্থত এই হলগৈ যে, বসুদেৱৰ আন কেইগৰাকী ভাৰ্য্যাৰপৰা লাভ হোৱা সন্তান-বিলাককো কংসই বিধ্-বিধ্‌কৈ সামান্য অপৰাধৰ লেচু লগাই বধ কৰি নিষ্কণ্টক হবলৈ ফন্দ্ পাতিলে। সেই হেতুকে বসুদেৱে তেওঁৰ বৰভাৰ্য্যা ৰোহিণী দেৱীক সগৰ্ভা অৱস্থাত মথুৰাৰপৰা আঁতৰাই নি ব্ৰজ ৰাজ নন্দৰ ঘৰত পলুৱাই ৰাখেগৈ। তাতে ৰোহিণী দেৱীয়ে এটি সুলক্ষণীয়া পুত্ৰ প্ৰসৱ কৰে,—তেওঁৱেই পাচত ৰাম বা বলৰাম নামে জনাজাত হয়। তাৰোপৰি, মথুৰাত যিবিলাক যাদৱ কোৱঁৰক,—বিশেষকৈ বৃষ্ণি ফৈদৰ—বলী আৰু তেজী দেখা গৈছিল সিবিলাককো বধিবৰ অৰ্থে কংসই নানা ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে। আন কি, সেই উদ্দেশ্য সহজে সিদ্ধি কৰিবৰ অভিপ্ৰায়ে কংসই নিজৰ পিতৃ বুঢ়াৰজা উগ্ৰসেনক ৰজা ভাঙ্গি ৰাজদুৰ্গৰ ভিতৰত বন্দী কৰি থৈ নিজে সিংহাসনত বহি ৰজা হল। যুৱৰাজৰ ক্ষমতা পাওঁতেই তেওঁক বাধোতা কোনো নাছিল, এতিয়া ৰাজ-ক্ষমতা পোৱা কংসক আৰু পায় কোনে! গতিকে, স্বেচ্ছাচাৰী কংস ৰজাৰ পাশৱিক অত্যাচাৰ দিনক্-দিনে বাঢ়িবলৈ ধৰিলে।[১] মথুৰাবাসী যাদৱসকলৰ বহুতে নিৰুপায় হৈ স্বৰাজ্য এৰি কোশল, বিদেহ, সাম্ব, নিষধ, পাঞ্চাল, কুৰু, কেকয়, বিদভ প্ৰভৃতি ৰাজ্যত বাস কৰা আত্মীয়-

---

গুপ্ত গণনাৰ ফলাফল জনা গৰাকীৰ অন্তৰত সততে জাগি আছিল, সেই দিনা সেই বিৰাট শোভাযাত্ৰাৰ দৃশ্যে সেই ফলাফলৰ ভাব উজাৰ খুৱাই দিয়াত, এভাগ উত্ৰাৱল বাইজে কংসপতনৰ পোহনীয়া ভাব হঠাৎ ব্যক্ত কৰি গিৰ্জ্জনি মাৰি উঠিছিল। এয়ে আমাৰ ধাৰণা।

(১) ৰাজক্ষমতা হাতত লৈ কংসই নিজমুখে কেনে অমানুষিক দৰ্প প্ৰকাশ কৰিছিল, 'হৰিবংশ'ৰ বিষ্ণুপৰ্ব্বৰ ৫৬ আধ্যাত তাৰ সুবহু বহুল বৰ্ণনা দিয়া আছে। সেই কালত কংস যে এজন অদ্বিতীয় অত্যাচাৰী ৰজা আছিল, তেওঁৰ নিজ মুখৰ অশিষ্ট বচনে তাৰ বিশিষ্ট প্ৰমাণ দিয়ে। তেওঁৰ মুখৰপৰা এনে কথাও বাজ হৈছিল,—"আজিৰপৰা কি মানুহ, কি পশু, কি পক্ষী, কি কিন্নৰ, যাকে মোৰ অবাধ্য দেখিম তাকে মই মৰিমূৰ কৰিম। পৃথিৱীত মোৰ অখণ্ড ক্ষমতা বুলি সবাৰে জানিব লাগে।"

কুটুম্বাদিৰ আশ্ৰয়ত থিতাপিত হলগৈ।[১] ইফালে, সন্তান সঞ্চাৰ হোৱাৰ সম্ভেদ্ পালেই দৈৱকী আৰু বসুদেৱক ৰাজ-দুৰ্গৰ বন্দীশালত বন্দী কৰি ৰক্ষা হয়; আৰু পূৰ্ব্বৰ প্ৰতিশ্ৰুতি অনুসৰি বসুদেৱে দৈৱকীৰ গৰ্ভজাত সন্তান ভূমিষ্ঠ হোৱা মাত্ৰকে কংসক অৰ্পণ কৰেগৈ, কংসই মহানন্দে সেই সন্তান বধ কৰি নিষ্কণ্টক হয়।

এই ভাৱেই ভালেমান দিন পাৰ হল; পাচলৈ আৰু প্ৰজা ঠাৰৰিব নোৱাৰাত পৰিলগৈ। গতিকে, ভিন্-ভিন্ ফৈদৰ যাদৱ কোৰ্ৱৰসকলে মথুৰাবাসী প্ৰজাবৰ্গৰে সৈতে গুপুতে পৰামৰ্শ কৰি, কি উপায়েৰে নো মহা অত্যাচাৰী কংস ৰজাক বধি ৰাজ্যৰ মঙ্গল সাধন কৰা যায় তাকে চিন্তিবলৈ ধৰিলে। সেই উদ্দেশ্যে, মথুৰাবাসী দৈৱকীৰ অষ্টম গৰ্ভজাত সন্তানৰ প্ৰতীক্ষাত ৰল, আৰু কি উপায়েৰে সেই সন্তান ৰক্ষা কৰিব পৰা যাব তাৰ দিহাকৰণলৈ সকলো গুপুতে সাজু হল। আৰু, সেই অৰ্থে সিবিলাকে মথুৰাৰ আশে-পাশে বসতি কৰা নাগ, গোপ প্ৰমুখ্যে আদি-অধিবাসীবিলাকেৰে সৈতে গোপনে আলোচনা আৰু ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে।[২] শেহান্তৰত সকলোৱে একেমত হৈ এই স্থিৰ কৰিলে যে, যি কোনো উপায়েৰে হওক, দৈৱকীৰ অষ্টম গভজাত সন্তান ৰক্ষা কৰিবই লাগিব। কিন্তু, সেই ভাবী সন্তানৰ গৰ্ভধান আৰু প্ৰসৱ লুই কৰিবৰ তো উপায় নাই, তাতে দৈৱকী আৰু বসুদেৱ দুৰ্গৰ মাজৰ বন্দীশালত! গতিকে, সদৌশেহত এই সিদ্ধান্তত উপনীত হোৱা গল যে, দৈৱকীৰ অষ্টম গৰ্ভজাত সন্তানৰ সলনিত আন কাৰোবাৰ এটি ওপজা-সন্তান গুপুতে নি যথাঠাইত থৈ কংসক ভুৱা দিব লাগিব। কিন্তু, হায়, তাৰ অৰ্থে আগ বাঢে কোন্?—কোনে নো স্ব-ইচ্ছাৰে আত্ম-সন্তানক কংসৰ কৰাল হাতত সঁপি দিয়ে এতিয়া! মথুৰাৰ ইমূৰৰপৰা সিমূৰলৈ সদৌ মথুৰাবাসীৰ মাজত গোপনে টুকুৰিয়াই চোৱা হল, কিন্তু সেই অৰ্থে কেৱে উদাৰ চিতেৰে আগ বাঢ়িব নোৱাৰিলে। বৃন্দাবনৰ নাগ ৰাজ্যতো গোপনে সন্ধান লোৱা গল, কিন্তু সেই অসাধাৰণ ত্যাগৰ অৰ্থে কাকো সাজু পোৱা নগল। গতিকে, মথুৰাবাসীৰ হা-হুমুনিয়াহৰ অন্ত নপৰিল। কিন্তু, সদৌশেহত গোকুলৰ গোপৰাজ্যত এখনি মহৎ অন্তঃকৰণ বিচাৰি পোৱা গল,—তেওঁ আন নহয়, গোপৰাজ নন্দ। নন্দৰাজ সেই মহা-ত্যাগৰ অৰ্থে সাজু হল। দৈৱকীৰ অষ্টম গৰ্ভধানৰ সম-সাময়িককৈ নন্দপত্নী ব্ৰজেশ্বৰী যশোদা ৰাণীৰো গৰ্ভাধান হৈছিল। আৰু, বিধিৰ বিধান অনুযায়ী, সেই একে ৰাতিয়েই ইফালে দৈৱকী দেৱীৰ অষ্টম পুত্ৰ-সন্তান আৰু সিফালে যশোদা ৰাণীৰ এটি কন্যা-সন্তানৰ[৩] জন্ম হয়।

---

(১) কংস ৰজাই মহাপ্ৰতাপী মগধ-ৰাজ জৰাসন্ধৰ লগত সম্বন্ধ লগাই লৈ, আৰু প্ৰলম্ব, তৃণাবৰ্ত্ত, বক্, অঘ, কেশি, ধেনুক, বাণ, অৰিষ্ট, নৰকাসুৰ আদি অসুৰ বংশী ৰজাসকলেৰে সৈতে লগ লাগি মথুৰাবাসী যাদৱসকলৰ ওপৰত অশেষ অসহনীয় আৰু অকথনীয় উৎপাত-অত্যাচাৰ কৰিছিল।—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, দ্বিতীয় আধ্যা, ১—৪ শ্লোক।

(২) বায়ুপুৰাণ, ৩৪শ আধ্যা, ১০০—২০০ শ্লোক।

(৩) পুৰাণাদিত এই কন্যাটি যোগমায়া ৰূপে অভি-হিত। সেইমতে, ভগবান শ্ৰীকৃষ্ণৰ লগত যোগমায়া সততে আৰু সৰ্ব্বত্ৰতে যোগ আছিল। পৃথিবীত জন্মগ্ৰহণৰ দিনাও দুয়ো দুঠাইত একে সময়তে ভূমিষ্ঠ হৈ, সলনি হৈ যায়। ৰাসমঞ্চতো যোগমায়া কৃষ্ণৰে সৈতে যোগ হৈ আছিল। য'তে কৃষ্ণ, ত'তে যোগমায়া 'শ্ৰী' ৰূপে যোগ হৈ, 'শ্ৰীকৃষ্ণ' হয়। যেনে—

যদুনাং নিজনাথানাং যোগমায়াং সমাদিশৎ।
গচ্ছ দেবী ব্ৰজং ভদ্ৰে গোপগোভিৰলঙ্কৃতং॥

* * *

অথাহমংশভাগেন দেবক্যাঃ পুত্ৰতাং শুভে।
প্ৰাপ্স্যামি ত্বং যশোদায়াং নন্দপত্ন্যাং ভবিষ্যসি॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২য় আধ্যা,
৩-৬ শ্লোক।

তৃতীয় আধ্যা

ওপজা-কৃষ্ণ

১৯২৯ খ্ৰীষ্টাব্দৰপৰা ৩৪২৯ বছৰৰ আগেয়ে, ভাৰতবৰ্ষৰ আৰ্য্যাবৰ্ত্তত, পুণ্যভূমি মথুৰা নগৰীত, ভাদমহীয়া কৃষ্ণাষ্টমীত, বুধবাৰে মাজনিশা কংস ৰজাৰ বন্দীশালত শ্ৰীকৃষ্ণই[১] পৃথিৱীত জন্মগ্ৰহণ কৰে[২]। বৃষ্ণিফৈদীয়া যাদৱ কোৱঁৰ বসুদেৱ কৃষ্ণৰ জন্মদাতা পিতৃ; আৰু ভোজফৈদীয়া যাদৱী কুৱঁৰী দৈৱকী দেৱী কৃষ্ণৰ গৰ্ভধাৰিণী মাতৃ। কৃষ্ণ দৈৱকীৰ অষ্টম গৰ্ভজাত পুত্ৰ-সন্তান।

কৃষ্ণৰ জন্মক্ষণ এটা অতি ভীষণ ৰাতিৰ গভত। সন্ধ্যাৰ পাচৰ পৰা সেই দিনা বতৰে ঘোৰ ৰূপ ধৰিলে; বতাহ, ধুমুহা, গাজনি, ঢেৰেকনি, বিজুলীৰ চমকনিৰে সৈতে সেই বতৰ ক্ৰমাৎ ঘোৰতৰ হৈ আহিল। তাৰ উপৰিও, মাজনিশা নেৰানেপেৰাকৈ ধাৰাসাৰে বৰষুণ, মাজে মাজে শিলাবৃষ্টি, বজ্ৰপাত ইত্যাদি উৎপাত চটিয়াই বতৰে প্ৰলয় কালৰ ভীষণ মূৰ্ত্তি ধাৰণ কৰিলে। নগৰৰ জন-প্ৰাণী কোনো কোনো ভয়ত পাটীতে চেপেটা লাগিল, কোনো কোনো সংজ্ঞাশূন্য হৈ পৰিল, কোনো আতঙ্কত অৱশ হৈ পৰি থাকোতে সেই ভাগেই টোপনি গল। বাহিৰত দুৱৰী, প্ৰহৰী, চোৰাংচোৱা আদি আটাইবিলাক যেয়ে য'তে আছিল সেয়ে ত'তে ছেগ বুজি শুই নিঃপালি দিলে। এনে ছেগত, এনে নিজম নিটাল ক্ষণত, ক্ষণজন্মা পৰম সুলক্ষণীয়া পুত্ৰ-সন্তান কৃষ্ণ কংসৰাজৰ বন্দীশালত দৈৱকী দেৱীৰ গৰ্ভৰপৰা ভূমিষ্ঠ হয়। ভূমিষ্ঠ হোৱা মাত্ৰে সেই ওপজা-পুত্ৰটি যতনে কাপোৰেৰে ঢাকি বুকুত সাবটি লৈ, পিতৃ বসুদেৱ হাতৰ সাৰে, ভৰিৰ সাৰে—অতি সংগোপনে বন্দীশালৰপৰা বাজ হল। তাৰ পাচত, নিৰ্দ্ধাৰিত গুপুত দিহা অনুসৰি, নাগ-বীৰ[৩] বাসুকীৰ তত্বাৱধানত, তেওঁ বেগাবেগিকৈ যমুনা পাৰ হৈ গৈ গোকুলত গোপৰাজ নন্দক

---

(১) 'শ্ৰীকৃষ্ণ' বোলোঁতেই সেই একে শুভক্ষণত গোকুলত গোপিনী-ৰাণী যশোদাৰ গৰ্ভজাত কন্যা-সন্তান যোগমায়া ভূমিষ্ঠ হোৱাও বোলা গৈছে। নহলে, এই যোগ বিহনে 'শ্ৰী'হীন অকল 'কৃষ্ণ' বোলা হলহেঁতেন।

(২) (ক) বিষ্ণুপুৰাণৰ ৫ম খণ্ডৰ, ২৪ আধ্যাৰ ৩২, ৩৩, ৩৪ শ্লোকৰ ব্যাখ্যা মতে যুধিষ্ঠিৰৰ স্থিতি ১৪৩০ খ্ৰীষ্ট-পূৰ্ব্বাব্দত, সেয়ে মহাভাৰতৰ কুৰুক্ষেত্ৰ যুদ্ধৰ কাল। তেতিয়া শ্ৰীকৃষ্ণৰ বয়স ৭০ বছৰ। এতেকে, ১৫০০ খ্ৰীঃ পূঃ চনত শ্ৰীকৃষ্ণৰ জন্ম; অৰ্থাৎ, ১৯২৯ খ্ৰীষ্টাব্দৰপৰা ১৫০০+১৯২৯ =৩৪২৯ বছৰৰ আগেয়ে শ্ৰীকৃষ্ণই পৃথিৱীত জন্মগ্ৰহণ কৰে।

(খ) শ্ৰীমদ্ভাগৱত মহাপুৰাণৰ ১২শ স্কন্ধৰ ২য় আধ্যাৰ ২২শ শ্লোকৰ ব্যাখ্যানুসাৰে নন্দ মহাপদ্মৰপৰা যুধিষ্ঠিৰ ১০০০ এহেজাৰ বছৰৰ অন্তৰত ৰয়হি। আন হাতে, বিষ্ণু-পুৰাণৰ ৪ৰ্থ খণ্ডৰ ২৪শ আধ্যাত কোৱা হৈছে,—"মহাপদ্মঃ তৎপুত্ৰাশ্চ একবৰ্ষ শতমবনীপতয়ো ভবিষ্যন্তি। নবৈব তান নন্দন কৌটিল্যো ব্ৰাহ্মণঃ (চাণক্য পণ্ডিত) সমুদ্ধ-ৰিষ্যতি। তেৰামভাবে মৌৰ্য্যাশ্চ পৃথিবীং ভোক্ষ্যতি হভিষেক্ষ্যতি।" এই মতে যুধিষ্ঠিৰৰপৰা চন্দ্ৰগুপ্ত ১১১৫ বছৰৰ অন্তৰত ৰয়হি। আন হাতে, চন্দ্ৰগুপ্ত আলেকজেণ্ডাৰৰ সমসাময়িক ৰজা; ৩২৫ খ্ৰীষ্টপূৰ্ব্বাব্দত আলেকজেণ্ডাৰে ভাৰতবৰ্ষ আক্ৰমণ কৰেহি। তাৰ দহবছৰৰ আগতে মাথোন, খ্ৰীঃ পূঃ ৩১৫ চনত, চন্দ্ৰগুপ্ত ৰজা হয়। এতেকে, ১১১৫+৩১৫=১৪৩০ খ্ৰীষ্টপূৰ্ব্বাব্দত যুধিষ্ঠিৰৰ স্থিতি; অৰ্থাৎ সেয়ে মহাভাৰতৰ কুৰুক্ষেত্ৰ মহাৰণৰ কাল। তাৰ লগতে শ্ৰীকৃষ্ণৰ সেই কালৰ বয়স ৭০ বছৰ যোগ দিলে ১৪৩০+৭০=১৫০০ খ্ৰীষ্টপূৰ্ব্বাব্দত, অৰ্থাৎ ১৯২৯ খ্ৰীষ্টাব্দৰ-পৰা ১৫০০+১৯২৯=৩৪২৯ বছৰৰ আগেয়ে শ্ৰীকৃষ্ণৰ জন্ম বুলি ঠাৱৰোৱা যায়।

(গ) বায়ুপুৰাণৰ ব্যাখ্যা মতে, ১৪৩০ খ্ৰীষ্টপূৰ্ব্বাব্দৰ ঠাইত ১৪৬৫ পোৱা যায়। ই বৰ বেচি অমিল নহয়; মাথোন ৩৫ বছৰৰ ব্যৱধান। সেই মতে, মহাভাৰতৰ যুদ্ধৰ সময়ত শ্ৰীকৃষ্ণৰ বয়স ৩৫ বছৰ মাথোন। ব্ৰহ্মপুৰাণ, পদ্ম-পুৰাণ, স্কন্দপুৰাণ, বামনপুৰাণ, কূৰ্ম্মপুৰাণ আৰু ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ এই বিষয়ত বিষ্ণুপুৰাণৰ হে ওচৰ চাপে।

(ঘ) কাশ্মীৰৰ বুৰঞ্জী 'ৰাজতৰঙ্গিণী'ৰ মতে, কলিযুগৰ ৬৫৩ বছৰত গোনৰ্দ্দ নামে এজন ৰজাই কাশ্মীৰৰ ৰাজপাট ৩৫ বছৰ ভোগ কৰে, আৰু তেওঁ যুধিষ্ঠিৰৰ সমসাময়িক ৰজা। তেনেহলে, যুধিষ্ঠিৰৰ স্থিতি ২২৭৯ খ্ৰীষ্ট-পূৰ্ব্বাব্দত ৰয়গৈ; এতেকে, সেই অনুসৰি, ২২৭৯+৭০+১৯২৯= ৪২৭৮ বছৰৰ আগেয়ে শ্ৰীকৃষ্ণৰ জন্ম বুলি ধৰা যায়।

(৩) প্ৰথম আধ্যাৰ চতুৰ্থ ছেদত উঙুকিয়াই অহা বনমানুহ নাগজাতি বিষয়ক সঙ্কেত চোৱাঁ।

সন্তানটি গতাই দিলেগৈ। আচৰিত এই যে, সেই ৰাতিয়েই, সেই ক্ষণতে নন্দ-ৰাণী যশোদায়ো এটি কন্যা-সন্তান প্ৰসৱ কৰে[1], আৰু ওপজা-সন্তানৰ মুখ নৌ দেখোঁতেই তেওঁ প্ৰসূতাবেদনাত মূৰ্চ্ছা যায়। সেই ছেগতে বসুদেৱে নিজৰ ওপজা-পুত্ৰটি যশোদাৰ বুকুত থৈ, সলনিত নন্দ-যশোদাৰ ওপজা-কন্যাটি লৈ বেগাবেগিকৈ উলটি আহি, তেওঁৰ প্ৰসূতী পত্নী দৈৱকীদেৱীৰ বুকুত দিলেহি। ই ১৯২৯ খ্ৰীষ্টাব্দৰপৰা ৩৪২৯ বছৰৰ আগৰ ঘটনা।[2]

পিচদিনা পুৱা কংস ৰজাই যেতিয়াই দৈৱকীয়ে সন্তান প্ৰসৱ কৰাৰ বাতৰি পালে, তেতিয়াই তেওঁ উত্ৰাৱল হৈ বন্দীশাল পালেগৈ, আৰু ততালিকে তেওঁ সেই ওপজা-কন্যাটিক, পাৱ দুটি একেহাতে জপটিয়াই ধৰি লৈ, দেৱালত মূৰ আছাৰি বধ কৰিলে। বসুদেৱ আৰু প্ৰসূতি দৈৱকী দেৱীৰ অশেষ কাকুতি-মিনতিয়েও কংসৰ নিদাৰুণ হিয়া পমাব নোৱাৰিলে।[3]

নন্দ-যশোদাও শ্ৰীকৃষ্ণৰ পিতৃ-মাতৃ। সিবিলাক কৃষ্ণৰ

---

(১) এওঁ কৃষ্ণৰ আজন্ম অৰ্দ্ধাঙ্গিনী যোগমায়া। এওঁ শ্ৰীৰূপে কৃষ্ণৰ লগত সততে যোগ আছিল। পৃথিবীত জন্ম লওঁতেও দুয়ো দুঠাইত একেক্ষণতে জন্মি সলনি হৈ যায় বুলি ওপৰৰ টীকাত কোৱা হৈছে। মথুৰাত জন্ম হোৱা কৃষ্ণ গোকুললৈ যায়, আৰু গোকুলত জন্ম হোৱা যোগমায়া মথুৰালৈ আহে। তাৰ পাচত, মথুৰাবাসীৰ যত্ন-কৌশলত কংসৰ কৰাল হাতৰপৰা ৰক্ষিত আৰু গোকুলত গোপনে পালিত হৈ, ১২—১৪ বছৰীয়া বয়সত, বৃন্দাবনত ৰাসেশ্বৰী যোগমাযাই কৃষ্ণ-আৰাধিকাৰূপে যোগ হোৱাত, 'ৰাধাকৃষ্ণ' যুগল মূৰ্ত্তিৰ অৱতাৰণা হয়। এয়ে 'ৰাধা' আৰু 'ৰাধিকা' নামৰ আঁতি-গুৰি। শ্ৰীমদ্ভাগৱত, ১০ম স্কন্ধ, ২৯শ আধ্যা, ১ম শ্লোক।

(২) পাশ্চাত্য পণ্ডিত কোলব্ৰুক্ (Colebrook), উইলচন (Wilson) আৰু এল্‌ফিন্‌ষ্টোন্ (Elphinstone) চাহাবসকলৰ মতে, চতুৰ্দ্দশ খ্ৰীষ্টপূৰ্ব্বাব্দত কুৰুক্ষেত্ৰ যুদ্ধ হয়, যি মহাযুদ্ধত শ্ৰীকৃষ্ণ সৰ্ব্বপ্ৰধান নায়ক আছিল। পণ্ডিত উইল ফোৰ্ড (Wilford) চাহাবৰ অনুমানত কুৰুক্ষেত্ৰ যুদ্ধ ১৩৭০ খ্ৰীষ্টপূৰ্ব্বাব্দলৈ অলপমান নামে। পণ্ডিত প্ৰাট্ (Pratt) চাহাবে আকৌ তাতোকৈ নমাই আনি দ্বাদশ খ্ৰীষ্টপূৰ্ব্বাব্দত কুৰুক্ষেত্ৰৰ যুদ্ধৰ কাল নিৰ্ণয় কৰিছে। ইয়াৰ-পৰা এই সিদ্ধান্ত কৰা যায় যে, শ্ৰীকৃষ্ণৰ জীৱনকাল সম্বন্ধে প্ৰাচ্য আৰু পাশ্চাত্য মতভেদৰ মাজত বিশেষ ব্যৱধান নাই; উল্লিখিত প্ৰথম তিনিজনৰ মত ভাৰতীয় শাস্ত্ৰকাৰৰ লগত প্ৰায় মিলিছেই, দ্বিতীয় জনৰ মতভেদ মাথোন বছৰ-দিয়েকৰ ব্যৱধানত বয়, আৰু তৃতীয় জনৰ গণনা ডেৰ শতাব্দীৰ আঁতৰ হৈ নামে। সি যি হওক, ইউৰোপীয় পণ্ডিতৰ মতেও যে শ্ৰীকৃষ্ণৰ আবিৰ্ভাৱ যীশুখ্ৰীষ্টতকৈ অন্ততঃ গড়মিলকৈ হাজাৰ-বাৰশ বছৰৰ আগেয়ে হৈছিল, তাত সন্দেহ নাই। এই ছেগতে আৰু এটা কথা কোৱা যায় যে, যিবিলাক ইউৰোপীয় পণ্ডিতে ইমানতো শ্ৰীকৃষ্ণক কল্পিত পুৰুষ বুলি কব খোজে, সিবিলাকলৈ আমাৰ প্ৰশ্ন এই যে, যদি কুৰুক্ষেত্ৰযুদ্ধ প্ৰকৃত ঘটনা বুলি সিবিলাকে মানে, তেন্তে সেই মহাযুদ্ধৰ সৰ্ব্বশ্ৰেষ্ঠ নায়ক শ্ৰীকৃষ্ণক প্ৰকৃত পুৰুষ বুলি নামানিবলৈ সিবিলাকৰ যুক্তি কি?

(৩) (ক) শ্ৰীমদ্ভাগৱত মহাপুৰাণ মতে, শ্ৰীকৃষ্ণজন্মৰ ঠিক পূৰ্ব্বক্ষণত স্বভাৱৰ সকলো শুভলক্ষণ সন্মিলিত হৈছিল।—ঘনঘটাচ্ছন্ন আকাশে নিৰ্ম্মল-নিৰাপদ ৰূপ ধাৰণ কৰিলে, ভাৱৰ-ওৰণি উদঙাই তৰাবিলাকে মেঘৰ মৃদুমন্দ গুৰ্‌গুৰণিত বুৰ্‌ দি সুশীতল পোহৰ দিবলৈ ধৰিলে; নৈ, বিল, সৰোবৰে নিজনি নীৰেৰে নিৰ্ম্মল ৰূপ ধাৰণ কৰিলে, ফুলনি-বননিয়ে ফুলে-ফলে-পাতে নৱঘনশ্যাম বৰণ ধৰিলে; পখীয়ে ডালত পৰি সুললিত স্বৰেৰে মঙ্গল-উৰুলি দিলে; গন্ধৰ্ব্ব-কিন্নৰে উলাহ-সঙ্গীতেৰে আকাশ-পৃথিবী আনন্দময় কৰিলে; যোগী-ঋষিসকলে হৃদয়গ্ৰাহী মন্ত্ৰ-উচ্চাৰণেৰে জগত মঙ্গলময় কৰিলে, বিদ্যাধৰী-অপেচৰীগণে আপোন-পাহৰা হৈ নাচোন ধৰিলে, অন্তৰীক্ষৰপৰা আচম্বিতে পুষ্পবৃষ্টি বৰষিবলৈ ধৰিলে। মাজনিশা এনে মাহেন্দ্ৰক্ষণত পৰমানন্দ নাৰায়ণে শ্ৰীকৃষ্ণৰূপে পৃথিবীত জন্মগ্ৰহণ কৰে। ভূমিষ্ঠ হোৱা মাত্ৰকে পিতাক বসুদেৱে সেই ওপজা-কৃষ্ণক নন্দৰ ঘৰত পলুৱাই থৈ আহিলগৈ। কৃষ্ণক বুকুত সাবটি লৈ বসুদেৱ বন্দীশালৰপৰা ওলাই আহোঁতে তাৰ ভিতৰ-দুৱাৰ আৰু দুৰ্গৰ বাহিৰ-দুৱাৰ আপোনা-আপুনি মুকলি হল, মোহনিদ্ৰাত পৰি দুৱৰী, প্ৰহৰী, চোৰাংচোৱা আদি সংজ্ঞা-শূন্য হৈ পৰিল। দুৰ্গৰ বাজ হৈ যাওঁতে নাগৰাজ বাসুকীয়ে কৃষ্ণবাহক বসুদেৱৰ পিচে পিচে ফণা মেলি ছত্ৰছাঁয়া দি গৈছিল।—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, তৃতীয় আধ্যা, ১—৮; ৩৯—৪২ শ্লোক।

(খ) বিষ্ণুপুৰাণৰ বৰ্ণনায়ো একেসুৰেৰে ভাগৱতক সমৰ্থন কৰে। যেনে,—"শ্ৰীকৃষ্ণ ভূমিষ্ঠ হোৱা মাত্ৰে জীৱাত্মাই নৱোল্লাহ লাভ কৰিলে; ধুমুহা-বতাহ মৃদু সমীৰণত পৰিণত হল; নদ-নদীয়ে আপোন-পাহৰি কুলু কুলু কুলু গীত গাই পৰম উলাহেৰে ববলৈ ধৰিলে; খোকি-বাখোকি লগাই

ধৰ্ম্ম-পিতৃ আৰু ধৰ্ম্ম-মাতৃ। ওপজা ৰাতিয়েই কৃষ্ণক পিতাক বসুদেৱে অতি গোপনে নি, মথুৰাৰপৰা যোজনান্তৰত গোকুলত গোপৰাজ নন্দৰ ঘৰত পলুৱাই থৈ আহেগৈ। সেই অৱধি গোপৰাজ নন্দ আৰু তেওঁৰ পত্নী গোপিনীৰাণী যশোদাৰ যত্ন আৰু চেনেহ-আপডালত কৃষ্ণ ডাঙৰ-দীঘল হয়। গতিকে, বয়সত বুজন হৈ মুঠালৈকে, কৃষ্ণই নন্দ-যশোদাকে তেওঁৰ আচল পিতৃ-মাতৃ বুলি ভাবিছিল, কিয়নো, পৃথিবীত চকু মেলিয়েই তেওঁ যশোদাত মাতৃমুখ আৰু নন্দত পিতৃমুখ দেখা পায়।

চতুৰ্থ আধ্যা

কেঁচুৱা কৃষ্ণ

সেই দিনা কৃষ্ণাষ্টমীৰ মাজনিশা বসুদেৱে ওপজা-কৃষ্ণক যমুনা পাৰ কৰি নি[১] গোকুলত প্ৰসূতি যশোদাৰ বুকুত থৈ নন্দৰাজক গতাই দি আহিল গৈ। তাৰ পাচত, শেহনিশাৰ ভিতৰত নন্দ-যশোদাই জন্ম-ক্ৰিয়া সমাপন কৰি, শাস্ত্ৰানুসাৰে সন্তানটি নিজ পুত্ৰ বুলি গ্ৰহণ কৰিলে।[২] পিচদিনা পুৱাৰ-পৰা ব্ৰজৰ অপূৰ্ব্ব পৰিবৰ্ত্তন ঘটিল, ব্ৰজবাসীয়ে বাহিৰত

সাগৰ-সমূদ্ৰে হৃদয়গ্ৰাহী গীত-বাদ্য আৰম্ভ কৰিলে, গন্ধৰ্ব্বৰ গীত-বাদ্যৰ তালে তালে অপেচৰীগণে নাচোন ধৰিলে, দেৱতা-কিন্নৰে অন্তৰীক্ষৰপৰা পুষ্পবৃষ্টি বৰষিবলৈ ধৰিলে।" —বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, তৃতীয় আধ্যা, ৩—৫ শ্লোক।

(গ) 'হৰিবংশ' ইতিহাস মতে, মথুৰাত কৃষ্ণ জন্ম হোৱা ৰাতিয়েই যমুনাৰ সিপাৰে গোপৰাজধানী গোকুলত নন্দৰাণী যশোদায়ো এটি কন্যা-সন্তান প্ৰসৱ কৰে। বসুদেৱে নন্দৰাজৰে সৈতে যুগুতি কৰি প্ৰসূতি যশোদাৰ বুকুত দৈৱকীৰ পুত্ৰটি থৈ, যশোদাৰ ওপজা-কন্যাটি সলনিত লৈ আহি প্ৰসূতি দৈৱকীৰ বুকুত থলেহি।—হৰিবংশ, বিষ্ণু পৰ্ব্ব, ৫৯ আধ্যা।

(খ) বায়ুপুৰাণৰ ৩৪শ আধ্যাৰ ২০১—২০৩ শ্লোক মতে, দৈৱকীৰ অনুমিত অষ্টম সন্তান, অৰ্থাৎ নন্দ-যশোদাৰ কন্যা-সন্তানটি কংসই বধিবলৈ নাপালে, মথুৰাবাসীয়ে কোনো কৌশলেৰে কন্যাটি সৰুৱাই নি বৃন্দাবনত গোপনে প্ৰতিপাল কৰাই ডাঙৰ-দীঘল কৰাইছিল। যথাকালত সেই কন্যাটিয়ে বৃন্দাবনৰ ৰাসেশ্বৰী ৰাধিকা, অৰ্থাৎ কৃষ্ণৰ চিৰ-আৰাধিকা, চিৰ-লগৰী যোগমায়া বা কৃষ্ণৰ শ্ৰী হৈ জিলিকিছিল। যোগমায়াৰ সংযোগত হে শ্ৰী+কৃষ্ণ= শ্ৰীকৃষ্ণ, সেই যোগ বিহনে শ্ৰীবিহীন উকা কৃষ্ণ।—"যা নিত্যাচিৎ ঘটনানন্তা গুণৰূপবিবৰ্জ্জিতা। আনন্দা সা পৰাশুদ্ধা ব্ৰাহ্মী শ্ৰীৰভিধিয়তে।"—বায়ুপুৰাণ, ৩৪ আধ্যা, ২০১—২০৩ শ্লোক।

(ঙ) বিষ্ণুপুৰাণ, শ্ৰীমদ্ভাগৱত আৰু হৰিবংশতো একে-সুৰে কোৱা হৈছে যে যেতিয়া কংস ৰজাই, দৈৱকীৰ অষ্টম গৰ্ভজাত সন্তান ভাবি নন্দ-যশোদাৰপৰা বসুদেৱে দৈৱকীৰ গৰ্ভজাত সন্তানৰ সলনিত আনি থোৱা কন্যাটিক শিলত মূৰ আফালি বধ কৰে, তেতিয়া সেই কন্যাৰ দেহাৰপৰা বাজ হৈ যোগমায়া দেৱীয়ে স্বৰূপ মূৰ্ত্তি ধাৰণ কৰি আকাশলৈ উঠি এই বুলি দৈৱবাণী শুনাই যায়,—"হেৰ মূৰ্খ কংস, স্বৰূপত যি তোৰ বধ লব, সেই ক্ষণজন্মা মহাপুৰুষ যথাস্থানত নিৰাপদে ৰৈ গৈছে, যথাকালত তেওঁৰ যোগত মোক পুনৰপি দেখা পাবি।" ইয়াতকৈ লৌকিকতাযুত বায়ু-পুৰাণৰ উক্তি বেচি বিশ্বাসযোগ্য, ইয়াৰ আদিছোৱা বায়ু-পুৰাণৰে সৈতে মিলিছে, কিন্তু শেহৰ ছোৱাত অলৌকিকতাৰ মাত্ৰা চৰি অমিল হৈছে। আনকেইখন পুৰাণতো মূল একেটা; কিন্তু ডাল, ঠাল আৰু ঠেংগুলিত অলৌকিকতাৰ পাৰ্থক্য ৰৈছে।

(১) শ্ৰীমদ্ভাগৱত প্ৰমুখো কেইখনমান পুৰাণৰ টীকাকাৰ বৈষ্ণৱ পণ্ডিতবৰ্গৰ মতে, যমুনা পাৰ হওঁতে, ওপজা-কৃষ্ণ পিতাক বসুদেৱৰ বুকুৰপৰা অকস্মাৎ পিছলি পানীত পৰোঁতেই বসুদেৱে ততালিকে ঠাপ্ মাৰি তুলি কৃষ্ণক আকৌ বুকুত সাবটি লৈ পাৰ হৈ গল বোলা যায় হয়, কিন্তু দৈৱকীৰ গৰ্ভজাত সেই কৃষ্ণ-সন্তান সেই পানীত পৰা ভাগেই ৰৈ গল, যমুনাৰ গৰ্ভৰপৰা সেই ছেগতে স্বয়ং গোলোকৰ শ্ৰীকৃষ্ণ বসুদেৱৰ কোঁচলৈ উঠি গোকুললৈ গল। তাৰ পাচতো চৈধ্য বছৰ দৈৱকীনন্দন কৃষ্ণই যমুনাগৰ্ভত স্থিতি কৰে। পিচে, অক্ৰূৰে যেতিয়া ৰাম-কৃষ্ণক বৃন্দাবনৰ-পৰা মথুৰালৈ লৈ আহেগৈ, তেতিয়া অক্ৰূৰে স্নান-সন্ধ্যাদি কৰি থাকোতেই গোলোকৰ শ্ৰীকৃষ্ণ যমুনাৰ সিপাৰৰপৰাই গোকুললৈ উভটি যায়, যমুনাগৰ্ভৰপৰা মায়াপ্ৰপঞ্চ ভেদি উঠি দৈৱকী-নন্দন কৃষ্ণ হে অক্ৰূৰৰ ৰথত চৰি মথুৰালৈ প্ৰত্যাগমন কৰে। এতেকে, সিবিলাকৰ মতে কৃষ্ণ একেজন নহয়, দুজন;—মথুৰাৰ কৃষ্ণ আৰু বৃন্দাবনৰ কৃষ্ণ। শ্ৰীকৃষ্ণৰ মাহাত্ম্য চৰাবৰ হেঁপাহত গোঁড়া বৈষ্ণৱ পণ্ডিতবৰ্গে এই অলৌকিকতাৰ অৱতাৰণা কৰি কৃষ্ণ-চৰিত্ৰৰ ঐতিহাসিকত্ব হানি কৰিছে মাথোন।

(২) সন্তানটি যে প্ৰকৃততে যশোদাৰ গৰ্ভজাত পুত্ৰ নহয়, তাৰ সন্তেদ্ নন্দৰাজত বাজে আন কেৱে জনা নাছিল, এই বিষয়ে ওপৰত উনুকিয়াই অহা হৈছে।

অভাবনীয় বিমোহন দৃশ্য দেখিবলৈ পালে, আৰু অন্তৰত অনিৰ্ব্বচনীয় সুখ অনুভৱ কৰিবলৈ ধৰিলে।

মথুৰাত ওপজা কানু গোকুলত ভানু উদয় হলগৈ। দৈৱকীৰ গৰ্ভত ঠাই লোৱা কানাই যশোদাৰ কোলাত কেঁচুৱা উঠিলগৈ। মথুৰাবাসীৰ উদ্ধাৰৰ অৰ্থে জন্ম লোৱা যাদৱ মুৰাৰি ব্ৰজবাসী কংসাৰি হলগৈ।—লগে লগে যমুনাৰো যেন কূল সলনি হল, ইকূলৰ স্বাভাবিক জেউতিয়ে সিকূললৈ পাৰ হৈ গোলোকৰ আৰ্হিৰে গোকুলৰ ৰূপ-গৌৰৱ চৰালেগৈ। সদৌ গোকুল জুৰি যেন গোলোকৰ পোহৰ বিয়পি পৰিল, গোপৰাজ্য অপূৰ্ব্ব স্বৰ্গীয় প্ৰভাৱে জিলিকি উঠিল। পুৱা নিয়ৰ ভাঙ্গি ব্ৰজৰ চাপৰিত নীৰলে চৰি থকা গৰু-গাইৰ গাত কিবা উলাহৰ চঁক্ লাগিল,—দমৰা-দামুৰি সমন্বিতে আটাইটিয়ে কিবা উদ্দেশে হেঁপাহৰ হেম্বেলনি মাৰি নেগুৰ-নিচান তুলি ঢাপলি ধৰিলে। গোকুলৰ গোপ আৰু ব্ৰজৰ গোপিনীসৱৰ অন্তৰত কিবা অভাবনীয় মঙ্গল সূচনা হল,—ঘৰে-ঘৰে ঘৰোৱাহীকৈ গভীৰ হৰিষ ভাবত উৰুলীকৃত হৈ আটাইটি আপোন-পাহৰা হল!—এনে অচিন্তনীয় দৃশ্য অনুভৱ আৰু অনিৰ্ব্বচনীয় সুখবোধৰ অনাদিকাৰণ কোন? ইয়াৰ উত্তৰ দিলে দিব পাৰে গোকুলত সেই ক্ষণত মাথোন এটি প্ৰাণীয়ে,—তেওঁ আন নহয়, সেই অসাধাৰণ ত্যাগীপুৰুষ ব্ৰজেশ্বৰ শ্ৰীনন্দ গোপ।

কি জানো কিয়, গোকুলৰ গোপ-গোপিনীয়ে নন্দ-যশোদাক সাক্ষাৎ কৰাৰ লেথ দিনক্দিনে চৰিবলৈ ধৰিলে। যেয়ে যি উদ্দেশে যলৈকে যাওক লাগে, সেয়ে যাওঁতে-আহোঁতে নন্দ-যশোদাৰ ত'ত এভুমুকি নামাৰিলে তেওঁৰ গা নৰয়। পানীঘাটলৈ যোৱা গোপিনীয়ে কাষৰ কলহ বাটতে থৈ আহি যশোদাৰ কোলাৰ কেঁচুৱাটি চাই চাই ভোল যায়হি। গোকুলৰ গোপিনীবৃন্দে জুমে-জুমে উলাহত হাঁহি-মাতি ফুৰি-চাকি আহি যশোদাৰ বুকুৰ কেঁচুৱাৰ আগত চেও থৈ যায়। গৰখীয়াই গৰু উলিয়াই নিওঁতে বাটতে নন্দৰ চ'ৰাত এটা ভুমুকি মাৰি যশোদাৰ কেঁচুৱাটি চাই ৰং পাই যায়। খৰিকটীয়াই বাটতে খৰিভাৰ পেলাই নন্দৰ ঘৰ সোমাই কেঁচুৱাটি চাই ভাগৰ পলুৱাই যায়। নন্দ-যশোদাৰ কেঁচুৱা পোনাটি চাবলৈ ব্ৰজবাসীৰ ইমান হেঁপাহ, ইমান ধাউতি! কিন্তু কিয়, কেনে ফুটাই কব নোৱাৰে! কেঁচুৱাৰেই কিবা অদৃশ্য আকৰ্ষণ নে ব্ৰজবাসী নৰ-নাৰীৰ অস্ফুট আবেগেই তাৰ'কাৰণ, তাৰ গূঢ়াৰ্থ কেনে নাপায়,—সবাৰে ধাউতি মাথোন কেঁচুৱাটিক জীৱন্ত প্ৰতিমাৰূপে চাই অতৃপ্ত তৃপ্তি লভিবলৈ; ব্ৰজবাসী আহে, আৰু কেঁচুৱাটি চাই পুলকিত হৈ গুচি যায়,—ইমানেই হে।

নন্দ-যশোদাৰ কেঁচুৱাই জেউতি চৰোৱাৰ আগৰেপৰা গোপ-উপনিবেশ গোকুল এখনি মনোৰম থান। ই যমুনাৰ মূলৰপৰা যমুনামুখলৈকে বিস্তৃত। এই উপনিবেশ ছোৱা-ছোৱাকৈ ব্ৰজ, গোকুল আৰু বৃন্দাবন নামে খ্যাত। বৃন্দাবনৰ পছিম প্ৰান্তত গোবৰ্দ্ধন গিৰি সেউজীয়া কলচীয়া শিৰ তুলি, গোপৰাজ্য ওপচাই কুশল-দৃষ্টি বিস্তাৰি, থিয় দি ৰৈছে। গোকুলৰ ভিতৰুৱা নিৰ্ম্মলতায়ো ভাবুকৰ মন-প্ৰাণ আকুল কৰে। ব্ৰজৰ স্বাভাৱিক গাম্ভীৰ্য্যই বিশ্ব-ৰচোঁতা বিধাতাৰ প্ৰতি স্বভাৱতে সঞ্চাৰ হোৱা ভক্তিৰসেৰে হৃদয় ওপচাই দিয়ে। বৃন্দাবনৰ প্ৰাকৃতিক সৌন্দৰ্য্যে সংসাৰৰ অশেষ অপায়-অমঙ্গল আঁতৰাই প্ৰাণত শান্তি দিয়ে। চমুকৈ কবলৈ গলে, এই গোপৰাজ্যক পৃথিৱীৰ শান্তিনিকেতন বুলিলে অকণো বঢ়াই কোৱা নহব। এনে অমৰবাঞ্ছিত শান্তিপুৰত গাখীৰ, মাখন, ঘিঁউ আদিৰ সুবাসেৰে আমোলমোল থানত, গৰু-গাই-গৰখীয়াৰ পৱিত্ৰ সঙ্গত, গোপ-গোপিনী আদি সৰল ব্ৰজবাসীৰ অযাচিত তত্বাৱধানত আজন্ম প্ৰাণবৈৰী কংস ৰজাৰ নিয়োজিত চোৰাংচোৱা আৰু প্ৰাণঘাতকীৰ কৰাল হাত এৰাই যশোদাৰ কেঁচুৱা দৈৱকীৰ অষ্টম গৰ্ভজাত পুত্ৰ দ্বিতীয়াৰ চন্দ্ৰৰ দৰে দিনক্-দিনে মনমোহাটি হৈ বাঢ়িবলৈ ধৰিলে। তথাপি, সেই অলৌকিক লক্ষণযুত ক্ষণজন্মা শিশুটিৰ প্ৰাণবিনাশক ভালেমান অদ্ভুত ঘটনা এটাৰ পাচত আন-টোকৈ পাৰ হবলৈ ধৰে। তাৰ ভিতৰৰ গোটাদিয়েকৰ বিষয়ে মাথোন উনুকিয়াই থোৱা যায়। যেনে—

(ক) পুতনা-বিষ্ট।—এই সাংঘাতিক নৰিয়াত যশোদাৰ কেঁচুৱা যায়-যায় হৈছিল। অপুত্ৰক নন্দৰাজৰ জীৱনসন্ধ্যাত লাভ হোৱা পুত্ৰ সেই নৰিয়াত হেৰায়-হেৰায় যেন

লাগিছিল। মথুৰাৰ উদ্ধাৰৰ অৰ্থে জন্ম লোৱা দৈৱকীৰ অষ্টম গৰ্ভজাত সন্তানৰ অন্ত পৰে-পৰে যেন আশঙ্কা কৰা গৈছিল। সেইবাবে গোটেই গোকুল আপদত তল যোৱা যেন হৈছিল। আৰু সেই আপাহতে ব্ৰজবাসীয়ে বিলাপত আতুৰভাৱে সেই বিঠক পিশাচী যেনকৈ বৰ্ণাইছিল।[১]

(খ) যশোদাৰ কেঁচুৱা তিনিমহীয়া,—হাত-ভৰি নচুৱাই মিটিকিয়াব পৰাটি। সেই বয়সত প্ৰচলিত সংস্কাৰ অনুসৰি জন্মনক্ষত্ৰযোগত কেঁচুৱাৰ কুশলাৰ্থে মাক যশোদাই এদিন গোপিনী-সবাহ পাতিলে। সবাহৰ কাম-বনত যশোদাৰ আজৰি নাই। মনৰ উলাহত তেওঁ সদৌবন নিজে কৰি ফুৰিছিল। এনে অৱস্থাত কেঁচুৱাক এখন খাটলাত শুৱাই লৈ, সবাহৰ সমলেৰে ভৰা এখন গাড়ীৰ তলত খাটলাখন আৰি থৈ, ক্ষন্তেকৰ নিমিত্তে তেওঁ ভিতৰ সোমাল। ইফালে অলপ পাচতে কেঁচুৱাই সাৰ পাই কান্দিবলৈ ধৰিলে। কিন্তু, সিফালে হাতে-কামে লগা হৈ যশোদাই ল'ৰাৰ কান্দোন শুনিও সতকাই ওলাই আহিব নোৱাৰিলে। কান্দি কান্দি প্ৰতিকাৰ নাপাই, পাচলৈ ল'ৰাই হাত-ভৰি নচুৱাই কিৰিলিযাবলৈ ধৰিলে। কিৰিলি শুনি ভিতৰত যশোদা এফেৰি নিশ্চিন্ত হল। এনেতে, ইফালে ল'ৰাৰ হাত-ভৰিৰ আছাৰণিত ঠেলা খাই গাড়ীখন অকস্মাৎ হুঁহকি পৰিল, ওপৰত ভৰা দি থোৱা গাখীৰ, গুৰ, ঘিঁউ, মাখন, দৈ, চিৰা, আথৈ আদি সবাহৰ সমলেৰে ভৰা মলা, চৰু, টেকেলিবোৰে খাটলাৰে সৈতে কেঁচুৱাক পুতি পেলালে! পিচে, কিৰিলিয়াই থকা ল'ৰা খপৰাই নিমাত হোৱাৰ তৎ লৈ, অকস্মাৎ কিবা দুৰ্ঘটনাৰ আশঙ্কা কৰি যশোদা ৰাণীয়ে ততাতৈয়াকৈ ওলাই আহি দেখেহি চোন সৰ্ব্বনাশ! তেওঁ এই সৰ্ব্বনশীয়া ঘটনাত বিচূৰ্ত্তি খাই চিঞঁৰ-বাখৰ লগাবলৈ ধৰিলে। তাৰ পাচত, তেওঁ উত্ৰাৱলভাৱে দুই হাতেৰে পাৰেমানে সেই মলা-চৰু-কলহৰ দ'মটো খানিবলৈ ধৰিলে। কিন্তু, খানে হে খানে, ল'ৰা নাই! খাটলা আছে, ল'ৰা নাই! এনেতে, কোনোবা ফালৰপৰা উধাতু খাই আহি নন্দৰাজেও বিচাৰিবলৈ ধৰিলেহি,—কিন্তু বিচাৰে হে বিচাৰে, ল'ৰা নাই! মনৰ উগুল-থুগুলত দুয়ো বিচৰাতে বিচাৰে,—ল'ৰা নাই! অন্তৰৰ অস্থিৰতা হেতুকে, যশোদাই লুটিয়াই চোৱা মলা-চৰুকে নন্দই লুটিয়ায়হি, নন্দই লুটিয়াই যোৱাকে পুনৰপি যশোদাই লুটিয়াই চায়হি,—ল'ৰা নাই। অৱশেষত নন্দ-যশোদা হতাশ হলগৈ,—সিবিলাক দুয়ো সামান্য মানুহৰ দৰে হিয়া ভুকুৱাই চিঞঁৰিবলৈ ধৰিলে। সেই চিঞঁৰ শুনি ওচৰত থকা গোপ-গোপিনীসকল উত্ৰাৱল হৈ আহি উবুৰিখাই পৰিলহি। সিবিলাক আটাইটিয়ে মিলি অতি আতুৰভাৱে সেই চৰু-কলহৰ দ'মটো আকৌ খানি-মেলি, লুটিয়াই-বাগৰাই পিত্-পিত্কৈ চালে,—কিন্তু ল'ৰা নাই। নাই যি নায়েই—ল'ৰা নাই। ইমানতে আশা-ভৰসা এৰি সকলোটি হতাশ হৈ পৰিল, সকলোৱে সমকণ্ঠে ৰিনাবলৈ ধৰিলে। তেনেতে, সিমানতো বিচাৰি থকা এগৰাকী

(১) শ্ৰীমদ্ভাগৱত পুৰাণাদিৰ মতে, পুতনা এজনী কংস ৰজাৰ নিয়োজিত ভয়ঙ্কৰী শিশুহন্তকী ডাইনী আছিল। তাইৰ স্তনত বিহ আছিল। তাই নানা ছদ্মবেশ ধৰি গৈ, টোপনি যোৱা কেঁচুৱাক কোলাত তুলি লৈ বিহস্তন পান কৰাই থৈ যায়। তাৰ পাচত, কেঁচুৱা সাংঘাতিক নৰিযাত পৰি বিনষ্ট হয়। এদিন পুতনাই ৰাতি গৈ যশোদাৰ টোপনিত তেওঁৰ বুকুৰপৰা কেঁচুৱাটি আঁতৰাই আনি কোলাত তুলি লৈ মুখত তাইৰ বিহস্তন দিছে, এনেতে কেঁচুৱাই দুই হাতেৰে তাইৰ স্তন খামুচি ধৰি মুখেৰে এনেকৈ টানি চুহিবলৈ ধৰিলে যে, তাইৰ সৰ্ব্বশৰীৰৰ সাৰ-শক্তি বাজ হৈ শুকাই অন্ত পৰিল। গতিকে, মৰণ-যন্ত্ৰণাত আৰ্ত্তৰাৱ কাঢ়ি তাই লুটিখাই মাটিত পৰিল। পুতনাৰ সেই আৰ্ত্তৰাৱ শুনি ওচৰ-কাষৰীয়া গোপ-গোপনীগণ চাপি নন্দৰ ঘৰ ভৰি পৰিলহি। সকলোৱে কাষ চাপি গৈ দেখে যে, যশোদাৰ কেঁচুৱাক আঁকোৱালি ধৰি পুতনা মৰি আছে।—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৬ষ্ঠ আধ্যা, ১—১২ শ্লোক।

অন্যান্য পুৰাণত পুতনাক কংস-প্ৰেৰিত এজনী ৰাক্ষসী বোলা হৈছে। 'হৰিবংশ'ত পুতনাক কংস নিয়োজিত ডাইনী বোলা হৈছে। বিষ্ণুপুৰাণত পুতনাক এজনী শিশুহন্তকী পিশাচী বুলিছে।

কিন্তু, হিন্দুৰ 'সুশ্ৰুত' নামে আয়ুৰ্ব্বেদিক গ্ৰন্থৰ উত্তৰা-তন্ত্ৰৰ ২৭ আৰু ৩৭ আধ্যাত 'পুতনা' এবিধ শিশুহন্তক ব্যাধি বুলিহে বৰ্ণিত হৈছে। আজিকালি সেই ব্যাধিক সাধাৰণতে 'দুদমোৰ' বোলা যায়।

গোপিনীয়ে একাষৰীয়াকৈ তল পৰি থকা ভাঙৰ চক এটা লুটিয়াই চাওঁতে খিল্‌খিল্‌কৈ হাঁহি থকা যশোদাৰ কেঁচুৱা ওলাই পৰিল! ল'ৰাৰ গাত ক'তো একণ হানি-বিঘিনি নাই। দেখি, সকলোৱে আনন্দত বিহ্বল হৈ বিস্ময় মানিলে।[১]

(গ) এদিন জেঠমহীয়া জহত আবেলি নন্দৰাজৰ চোতালৰ আগত শীতল দূবৰিবনৰ ওপৰত গোকুলৰ গোপিনীবৰ্গে মৰল পাতি বহি জুৰ লৈছে; সেই মৰলৰ মাজতে যশোদাৰ ছমহীয়া কেঁচুৱাটিয়ে চিট্‌হৈ পৰি থকা ভাগেই আকাশৰ এটি-দুটি তৰালৈ চাই চাই হাত-ভৰি নচুৱাই কিৰিলিয়াব লাগিছে; গোপিনীবৰ্গে সিবিলাকৰ জহ-ভাগৰ গুচোৱা নাম-কীৰ্ত্তনাদিৰ মাজে মাজে একো-একোবাৰ কেঁচুৱাটিলৈ মোহলাগি চাইছে। এনেতে, অকস্মাৎ কোনোবা এপাকত আকাশৰপৰা এটা শেন জাতীয় ভয়ঙ্কৰ নখাল পখীয়ে থাপ্ মাৰি কেঁচুৱাটি লৈ উৰা মাৰি ক্ৰমাৎ ওপৰলৈ উধাবলৈ ধৰিলে।[২] যশোদা প্ৰমুখ্যে গোপিনীবৰ্গ বিচুৰ্ত্তি হল। সিবিলাকৰ ভয়বিহ্বল আৰ্ত্তৰাৱত গোকুলময় গৰ্গৰণি লাগি গল। গৰখীয়াবৃন্দ উধাতুখাই লৰি আহি যশোদাৰ চোতাল ভৰি পৰিলহি। গোপবৰ্গৰ যেয়ে য'তে আছিল, সেয়ে ত'ৰেপৰা ঢপলিয়াই আহি উবুৰিখাই পৰিলেহি। ভাল-ভাল পৈণত চিকাৰী গোপবৰ্গে হাতত ধেনু-কাঁড় লৈ ওপৰৰ পখীটোলৈ টোৱাই পাৰ্য্যমানে কাঁড়িয়াবলৈ ধৰিলেহি। কিন্তু, কাঁড়ে পখীক ঢুকি পোৱাটো অসম্ভৱ হল; সি কেঁচুৱাক নখৰ ফণাৰে সৈতে বুকুত সাবটি ধৰি ক্ৰমাৎ ওপৰলৈ উধাবলৈ হে ধৰিলে। নিৰুপায় হৈ সকলোটি বিবুদ্ধি হল। নন্দৰাজ হতাশত ঠৰ লাগিল। যশোদা মাটিত পৰি মূৰ্চ্ছা গল। গোপিনীবৰ্গে বিননিত গছৰ পাত খিলি-খিলি কৰিছে। গোপকন্যাবৃন্দে প্ৰাণৰ পুতলা হেৰুৱাই কান্দোনত থলক্ লগাইছে। গৰখীয়া বৃন্দই উদ্বাউল দি মাটিত ঢলি ঢলি পৰিছে। এনেতে, দেখা গল, পখীটো অৱশ হৈ, পাখি দুখন পুৰ্ণহতীয়াকৈ মেলা ভাগেই ক্ৰমাৎ তললৈ সৰিবলৈ ধৰিছে; বতাহত ওপঙি ওপঙি ঘূৰিঘূৰি পখীটো পুনৰপি নন্দৰ চোতালৰ পোন্ হলহি,—চাওঁতে চাওঁতে পখীটো সৰি সৰি আহি কেঁচুৱাই সৈতে আকৌ আগৰ ঠাইতে পৰিলহি। মনৰ আবেগত উত্ৰাৱল হৈ সকলোটিয়ে লৰি গৈ বেৰি ধৰিলেগৈ, আৰু দেখি আচৰিত হল যে, পখীটো নেলু ছিগি মৰি আহিছে! কেঁচুৱাৰ সোঁ-হাতেৰে পখীৰ নেলুত টিপামাৰি ধৰা ভাগেই, বাওঁ হাতেৰে তাৰ ঠোঁট দুটা জপাই ধৰা ভাগেই, তাৰ বুকুৰ উম্-লগা কোমল পাখিৰ মাজত বুকু চপাই ধৰি দুটি ভৰিৰে কেপ্ লগাই তাৰ কঁকালৰ যোৰা ভিৰাই ধৰা ভাগেই পখীটো ঠেৰেঙ্গা লাগি মাটিত পৰিলহি,—যশোদাৰ কেঁচুৱাই মনৰ উলাহত কিৰিলিয়াবলৈ ধৰিলে।[৩]

---

(১) শ্ৰীমদ্ভাগৱত প্ৰমুখ্যে পুৰাণাদিত এই ঘটনা অলৌকিকভাৱে বৰ্ণোৱা হৈছে। কিয়নো, এনে অদ্ভুত কাহিনী বৰ্ণাওঁতে তাক চম্ভালিবলৈ তাত অতিপ্ৰাকৃতিক বাঘজৰী লগোৱাটোৱেই উজু উপায়। সি যি হওক, ই যে এটা প্ৰকৃত ঘটনা, তাত সন্দেহ নাই। বলৱন্ত কেঁচুৱা ল'ৰাই হাত-ভৰি নচুৱাই হেন্দুলিয়াবলৈ ধৰাত খাটলাখনো হেন্দোলনি খাই গাড়ীৰ ঘিলাত খুন্দা খোৱাত গাড়ীখন হুঁহকি হামখুৰিখাই পৰাটো অসম্ভৱ নহয়। আৰু, আতুৰ হৈ বিচাৰোঁতাৰ মন-প্ৰাণ অস্থিৰতা হেতুকে ভালেমান পৰলৈকে ল'ৰা বিচাৰি নোপোৱাটোও নিচেই স্বাভাৱিক।

(২) শ্ৰীমদ্ভাগৱত মহাপুৰাণত ইয়াক তৃণাৱৰ্ত্ত নামে এটা কংস-প্ৰেৰিত অসুৰ বোলা হৈছে।—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৭ম আধ্যা, ১৯—২৪ শ্লোক।

(৩) এই তৃণাৱৰ্ত্ত বাজেও শ্ৰীকৃষ্ণৰ হাতত নিধন হোৱা পুতনা, প্ৰলম্ব, ধেনুকাসুৰ, বৃষাসুৰ, অঘাসুৰ, কেশি, ব্যোমাসুৰ প্ৰভৃতিক কামৰূপী মায়াক্ষম বিবিধ অসুৰৰূপে বৰ্ণোৱা হৈছে। সেই আটাইবিলাকক কৃষ্ণ বিনাশৰ অৰ্থে ভোজৰাজ কংসপ্ৰেৰিত চোৰাংচোৱা বুলি ধৰা হৈছে। কামৰূপবাসী মন্ত্ৰ-বিদ্যাত পাৰ্গত আৰু মযাপী বুলি তেতিয়াৰেপৰা জনসাধাৰণৰ মনত এটা ধাৰণা বহি আহিছে। যেনে :—

প্ৰযুক্তান্ ভোজৰাজেন মায়িনঃ কামৰূপিনঃ।
লীলয়া ব্যপুদত্তাং স্তান বালঃ ক্ৰীড়নকানিব ॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ১ম আধ্যা, ৩০ শ্লোক।

কিন্তু, প্ৰকৃতপক্ষে 'তৃণাৱৰ্ত্ত' এটা শেনজাতীয় পখী হে। আৰু, সেই অদ্ভুত বলৱন্ত ল'ৰাৰ পক্ষে ই একো অসম্ভৱ

এই অনুক্রমে এটাৰ পাচত আনটোকৈ যশোদাৰ কেঁচুৱাৰ জীৱনত কেইবাটাও সাংঘাতিক অপায় অদ্ভুতভাৱে খণ্ডিবলৈ ধৰিলে। পাচলৈ ব্রজবাসীয়ে বিস্ময় মানি, বিশেষ সাৱধানে পাল বাটি ল'বাৰ গা-চোৱা বাব লবলৈ দিহা লগাই ললে।

পঞ্চম আধ্যা

নামকৰণ,—চালুকীয়া ৰাম-কৃষ্ণ

গর্গমুনি যাদৱবর্গৰ কুলপুৰোহিত। তেওঁ এজন অগাধ জ্যোতিঃশাস্ত্রবিদ্ বিচক্ষণীয়া পণ্ডিত। ভূত, ভবিষ্যত আৰু বর্ত্তমান গণনাত তেওঁ এনে পাকৈত যে, সেই আপাহতে তেওঁ 'সর্ব্বজান' নামে প্রখ্যাত।[১] যাদৱপ্রধানসকলৰ সকলোৰে সোঁৱৰণী-পত্র আৰু সেই অনুসৰি নামকৰণাদি কার্য্য গর্গাচার্য্যৰ দ্বাৰায়ে সততে সম্পাদিত হয়। যথাসময়ত এদিন বসুদেৱে অতি গোপনে গর্গাচার্য্যক নিবেদন কৰিলে যে, তেওঁ যেন অনতিপলমে গোকুললৈ গৈ সংগোপনে আৰু সুকৌশলেৰে নন্দপালিত ৰোহিণীদেৱী আৰু দৈৱকীৰ গর্ভজাত পুত্র দুটিৰ নামকৰণাদি সংস্কাৰ সম্পাদন কৰি আহেগৈ। সেই অনুসৰি এদিন শুভক্ষণত যাদৱ পুৰোহিত গর্গমুনিয়ে মথুৰাৰপৰা গোকুললৈ যাত্রা কৰিলে।

বসুদেৱৰ অনুৰোধ অনুসৰি, যাদৱ পুৰোহিত মহাতপস্বী আচার্য্য গর্গমুনি যথাসময়ত নন্দৰাজৰ গোকুল-ভৱনত উপস্থিত হলগৈ। যথাবিধি অভিবাদন কৰি মধুপর্কাদি প্রদান কৰাৰ পাচত, মুনিবৰে পাদপ্রক্ষালন কৰি আসন গ্রহণ কৰিলত, নন্দৰাজে অতি ভক্তিভাৱে প্রণিপাত কৰি কৰযোৰকৈ বিনীত বচনেৰে এই বুলি সম্বোধন কৰিলে, "হে ব্রহ্মণ! ভগবানৰ প্রতি অচলাভক্তিৰ প্রভাৱত আপুনি পূর্ণকাম। এতিয়া, আজ্ঞা কৰক, আপোনাৰ অভিপ্রেত কি কার্য্য সম্পাদন কৰিব লাগিব?"[২]

গর্গাচার্য্যই সঙ্কেতৰ ওপৰত তেওঁৰ আগমনৰ গুপুত উদ্দেশ্য চমুকৈ জ্ঞাপন কৰি, নন্দৰাজক এই বুলি সতর্ক হবলৈ উপদেশ দিলে, "দেখাঁ, মই যে যদুগণৰ আচার্য্য সেইটো সর্ব্বত্রতে জনাজাত। এতেকে, মই যদি তোমাৰ পুত্রৰ সংস্কাৰ কার্য্য দেখাদেখিকৈ সম্পাদন কৰোঁ, তেন্তে কংসই তোমাৰ কনিষ্ঠ পুত্রক দৈৱকীৰ অষ্টম গর্ভজাত তনয় বুলি ভাবিব পাৰে; আৰু তাৰ ফলত যদি পাপিষ্ঠ কংসই সেই পুত্রত বধ কৰে, তেনেহলে আমাসাৰ অতিশয় অমঙ্গল সাধিত হব। আচার্য্যদেৱৰ সেই কথা শুনি নন্দৰাজে এই বুলি সমিচাৰ দিলে, "আপুনি আমাৰ এই গোচাৰণ প্রদেশত আন কোনো বিশেষ আয়োজন নকৰি মাথোন স্বস্তিবচনাদি পূর্ব্বক মন্ত্রোচ্চাৰণৰ দ্বাৰাই দ্বিজাতি-বিহিত সংস্কাৰমাত্র সমাধা কৰোক। ইয়াত এই কার্য্যৰ সম্ভেদ্, আনৰ কথা নিলগতে থাওক, মোৰ আত্মীয়গণেও নাপাব।" সেই আশ্বাসত নিশ্চিন্ত হৈ মহামুনি গর্গাচার্য্যই নন্দনন্দন দুটিৰ নামকৰণ সংস্কাৰ যথাবিধি নির্জ্জানত সমাপন কৰিলে।[৩]

ঘটনা নহয়। যি তিনিমহীয়া কেঁচুৱাৰ হেন্দোলনিত জোকাৰ খাই এখন ভৰাগাড়ী হুঁহকি হাম্খুৰিখাই পৰিছিল, সেই কেঁচুৱাই ছমহীয়া বয়সত এই ঘটনা ঘটুৱাত বিস্ময় মানিবৰ সকাম নাই। পখীয়ে নখৰ ফণাৰে সৈতে খামোচ মাৰি ধৰি বুকুত জঁপাই ধৰোঁতে ভয়-কৌতুহলত অসাধাৰণ ল'ৰাই পখীৰ টেঁটুত টানকৈ টিপা দি ধৰাটো নিচেই স্বাভাবিক। আৰু, অতি ওপৰৰ চেঁচা বতাহত জাৰ পাই, পখীৰ উমলগা বুকুত বুকু চপাই লৈ, দুটি পাৰেৰে, তাৰ ডোকাৰ তলেদি কঁকালত কেপ্ লগাই ভিৰাই ধৰাটোও অসম্ভৱ নহয়।

(১) "জ্যোতিষাময়নং সাক্ষাদ্‌যত্তজ্ জ্ঞানমতীন্দ্রিয়ং।
প্রণীতং ভবতা যেন পুমান্ বেদ পৰাবৰং।"
—শ্রীমদ্ভাগৱত, দশম স্কন্ধ, ৮ম আধ্যা, ৩য় শ্লোক।

গর্গাচার্য্য হেন বিচক্ষণীয়া দৈৱজ্ঞৰ বর্ত্তমানত মথুৰাবাসীয়ে সময়ে সময়ে দৈৱবাণী শুনিবলৈ পোৱাটো একো আচৰিত কথা নহয়। ইতিপূর্ব্বৰ টীকাত দৈৱকী-বসুদেৱৰ বিবাহ-প্রসঙ্গত দৈৱবাণীৰ যি মন্তব্য দিয়া গৈছে, তাক এই প্রসঙ্গীয়া প্রত্যক্ষ প্রমাণে ভাঠি সমর্থন কৰে।

(২) শ্রীমদ্ভাগৱত, দশম স্কন্ধ, ৮ম আধ্যা, ১ম শ্লোক।

(৩) শ্রীমদ্ভাগৱত, দশম স্কন্ধ, ৮ম আধ্যা, ৫—৭ শ্লোক।

তাৰ পাচত, আচাৰ্য্যদেৱে পুত্ৰ দুটিৰ জন্মপত্ৰিকা দুখন আঁচি দেখুৱাই তাৰ মূলমন্ত্ৰ গোটাদিয়েক নন্দৰাজক এইদৰে ভাঙি কলে,—"জানা নন্দৰাজ, ৰোহিণীৰ পুত্ৰই সুহৃদগণক বিশেষ আনন্দ প্ৰদান কৰিব, সেই অৰ্থে তেওঁৰ এটি নাম হৈছে 'ৰাম'; তেওঁ বয়সত প্ৰচুৰ বলৱন্ত হব সেই বাবে তেওঁৰ দ্বিতীয় নাম ৰখা হৈছে 'বল', আৰু তেওঁৰ জন্মই যদুগণৰে সৈতে তোমাৰ সম্বন্ধ বিশেষকৈ আকৰ্ষণ কৰা হেতুকে তেওঁৰ আন এটা নাম থোৱা হল 'সঙ্কৰ্ষণ'।"[১]

তাৰ পাচত, অপৰ পুত্ৰটিৰ নামকৰণ সম্পৰ্কে গৰ্গাচাৰ্য্যই এইদৰে ব্যাখান কৰে, "এওঁ ক্ৰমান্বয়ে শ্বেত, ৰক্ত আৰু পীত—এই তিনি বৰ্ণেৰে দেহধাৰণ কৰি যুগে যুগে জন্ম-পৰিগ্ৰহণ কৰিছিল, কিন্তু বৰ্ত্তমান যুগত এওঁ কৃষ্ণ বৰ্ণ ধাৰণ কৰিছে, গতিকে এই যুগত এওঁ 'কৃষ্ণ' নামেই খ্যাত হব[২]। আৰু তোমাৰ এই পুত্ৰই ক'ৰবাত কেতিয়াবা বসুদেৱৰ ঔৰসজাত হৈ জন্মগ্ৰহণ কৰিছিল, এতেকে এই কথাৰ যি সন্ধেদ পায়, সিবিলাকে এওঁক 'বাসুদেৱ' নামে জানিব।[৩] বিশেষ তোমাৰ এই পুত্ৰৰ গুণ আৰু কৰ্ম্ম অনুৰূপ এওঁৰ বহুৰূপ আৰু অনন্ত নাম হব[৪], সেইবোৰ নাম অন্যে যে নাজানেই, মোৰ গণনায়ো আটাইবোৰ ধৰিব পৰা নাই এথোন। হে ব্ৰজপাল, কৃষ্ণৰ বিষয়ে কবলৈ গলে বহুত, ইমানকে ঠাওকতে কোৱা হল, মুঠৰ ওপৰত, এওঁ গোপগণ আৰু গোকুলবাসী সবাৰুৰে আনন্দ বৰ্দ্ধন কৰি তোমালোকৰ বিশেষ মঙ্গল সাধন কৰিব, এওঁৰ আশ্ৰয়ত তোমাৰ সকলো প্ৰকাৰৰ অপায়-অমঙ্গল অনায়াসে খণ্ডিব, তাত সন্দেহ নাই। তাৰোপৰি, যিবিলাক ভক্তবৃন্দে এই পৰম পবিত্ৰ কৃষ্ণক প্ৰীতি কৰিব, সিবিলাকৰ কোনো বিপদৰ ভয় নাথাকিব,—বাহিৰৰ শত্ৰু আৰু অন্তৰৰ ৰিপু সমূহে কৃষ্ণপ্ৰেমিকক অভিভূত কৰিব নোৱাৰিব।"[৫]

নামকৰণ সংস্কাৰ আৰু জন্মপত্ৰিকা প্ৰণয়ন কাৰ্য্য সমাপন কৰি মহাদৈৱজ্ঞ গৰ্গাচাৰ্য্য হৰিষ মনেৰে তেওঁৰ মথুৰাশ্ৰমলৈ উলটি আহিল। তাৰ পাচত, গোকুলত নন্দ-ভৱনত 'ৰাম-কৃষ্ণ দুটি ভাই' চলক্-ভলককৈ দিনক্-দিনে ডাঙৰ-দীঘল হৈ উঠিল। চাওঁতে চাওঁতে ৰাম-কৃষ্ণই মাতৃকোলা এৰি বহিব পৰা হল, বহাৰপৰা চুঁচৰিব পৰা হল,—আঁঠু আৰু হাতৰ তলুৱাত ভৰ দি 'অঁই' হৈ ঢপলিয়াই ফুৰিব পৰা হল। এনেকুৱা চালুকীয়া অৱস্থাত ৰাম-কৃষ্ণক, বিশেষকৈ কৃষ্ণক চম্ভালিবলৈকে টান হৈ উঠিল! গোহালিত সোমাই গৰুমূতৰ বোকাৰে সৈতে লুটুৰি-পুটুৰি হৈ দুয়ো কেতিয়াবা সঁচাসঁচি অঁই-পোৱালি হৈ ওলায়হি! তেনেকুৱা অৱস্থাত পুত্ৰদ্বয়ে কিযে মনোহৰ ৰূপ ধাৰণ কৰে!—মাতৃদ্বয়ে হৰষিত

---

(১) অয়ং বৈ ৰোহিণীপুত্ৰো ৰময়ন্ সুহৃদো গুণৈঃ।
আখ্যাস্যতে ৰাম ইতি বলাধিক্যাদ্বলং বিদুঃ।
যদুনামপৃথগ্ ভাবাৎ সঙ্কৰ্ষণমুশন্ত্যপি॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৮ম আধ্যা, ৮ম শ্লোক।

আৰু দৈৱকীৰ গৰ্ভৰপৰা সঙ্কট হৈ যোগমায়াৰ দ্বাৰাই ৰোহিণীৰ গৰ্ভত স্থাপিত হৈছিল বুলিও, বলৰাম 'সঙ্কৰ্ষণ' নামে খ্যাত।—শ্ৰীধৰ স্বামীকৃত ভাবাৰ্থদীপিকা।

(২) আসন্ বৰ্ণাস্ত্ৰয়ো হ্যস্য গৃহ্নতোঽনুযুগং তনুঃ। শুক্লো ৰক্তস্তথা পীত ইদানীং কৃষ্ণতাং গতঃ॥—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৮ম আধ্যা, ৯ম শ্লোক।

কৃষিঃ অৰ্থত (ভূঃ) সত্তা, বিদ্যমানতা অৰ্থাৎ সৎ স্বৰূপ; ণঃ অৰ্থত নিৰ্বৃতি, অৰ্থাৎ পৰমানন্দ। "কথ্যন্তে বৰ্ণনামভ্যাং শুক্লঃ সত্যযুগে হৰিঃ। ৰক্তঃ শ্যামঃ ক্ৰমাৎ কৃষ্ণ স্ত্ৰেতায়াং দ্বাপৰে কলৌ॥" ভাগৱতামৃতৰ এই বচন অনুসাৰে সত্য-যুগত হৰি শুক্লবৰ্ণ, ত্ৰেতাত ৰক্তবৰ্ণ, দ্বাপৰত শ্যামবৰ্ণ আৰু কলিত কৃষ্ণবৰ্ণ ধাৰণ কৰি আৱিৰ্ভূত হয়। কিন্তু, দ্বাপৰৰ শেহত যে কৃষ্ণাৱতাৰ বা বাসুদেৱৰ তিৰোভাৱৰ দিনাই কলিৰ প্ৰৱেশ সেই চেলুতে গৌড়ীয় সুচতুৰ বৈষ্ণৱ পণ্ডিত-বৰ্গে পীত অৰ্থত সুবৰ্ণ বা হেমাঙ্গ বৰ্ণ ধৰি, গৌৰাঙ্গদেৱৰ অৱতাৰণা কৰিছে।—শ্ৰীধৰ স্বামীকৃত ভাবাৰ্থদীপিকা।

(৩) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৮ম আধ্যা, ১০ম শ্লোক।—কৃষ্ণ যে বসুদেৱৰ ঔৰসজাত, সেই কথা নন্দৰাজৰ অবিদিত নহয়। তথাপি তেওঁৰ মন ম্লান হোৱাৰ আশঙ্কাত সুচতুৰ গৰ্গাচাৰ্য্যে এই 'বাসুদেৱ' নামকৰণ বিশেষণেৰে সবিশেষ বুজাইছে।

(৪) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৮ম আধ্যা, ১১শ শ্লোক।—এই প্ৰসঙ্গতে 'গোবিন্দ' নামৰ আখ্যা পোৱা যায়। হৃদয়ৰূপ বৃন্দাবনত ইন্দ্ৰিয়ৰূপী গোগণৰ নিয়ন্তা বুলি শ্ৰীকৃষ্ণ 'গোবিন্দ' নামে খ্যাত।—শ্ৰীধৰস্বামী।

(৫) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৮ম আধ্যা, ১২—১ শ্লোক।

গদ্‌গদ্‌চিত্তেৰে দুইকো ধুৱাই-পখলাই দি অনুপম আনন্দ অনুভৱ কৰে। তাৰ পাচত, যেতিয়া ৰাম-কৃষ্ণই মাকৰ কোলাত উঠি মক্‌মকাই স্তন পান কৰি, নকৈ ফুটি ওলোৱা দুই-চাইটি নিগনিদাঁত উলিয়াই মাজে-মাজে মিটিকিয়ায়, তেতিয়া সেই হাঁহিভৰা মুখ দুখনিলৈ চাই চাই ৰোহিণী-যশোদাই প্ৰাণত কি যে শান্তি লাভ কৰে তাক প্ৰকাশ কৰিবলৈ কথাৰ অভাৱ! কেতিয়াবা কোনোবা অচিনাকি বাটৰুৱাৰ পিচে পিচে ঢপলিয়াই যাওঁতে, হাতৰ ঠাৰি, বাউসি পাৱৰ গাঁথি আৰু কঁকালত আৰি দিয়া নেপুৰৰ ৰুনুক্-জুনুক্ বাদনত আপোনা-আপুনি ভোল গৈ ঠৰ হৈ ভেলেঙ্গা শৰপোৱালিৰ দৰে বৈ আকৌ উলটি ঢপলিয়াই আহি নিজ নিজ মাতৃৰ কাষ চাপেহি। দেখি বাটৰ বাটৰুৱাও মোহলাগি বৈ যায়। গোপিনীসকল যে ৰাম-কৃষ্ণক চাই চায়েই আপোনপাহৰা! সিহঁতলাকে গৃহ-কাৰ্য্যলৈ পাহৰি ৰাম-কৃষ্ণকে চাই চাই ঘৰলৈ উলটিবলৈ পাহৰে।[১]

চাওঁতে-চাওঁতে ৰাম-কৃষ্ণ থিয়দঙ্গা দিব পৰা হল। নন্দ, যশোদা, ৰোহিণী আৰু গোপ-গোপিনীসকলৰ মনত আনন্দে নধৰা হল। গোপিনীবৰ্গে "দিগ্-দিগ্-দিগ্ বগাই-কলিয়া" বুলি টিলিকিয়ায়, ৰাম-কৃষ্ণই উলাহত উৰুলীকৃত হৈ থিয়-দঙ্গা দি আকৌ থপৰাই পৰি ভেকুভেকুকৈ হাঁহিবলৈ ধৰে। চাই চাই চাই ৰোহিণী-যশোদাৰ প্ৰাণত তৃপ্তি নপলায়, নন্দৰ মনত আনন্দে নধৰা হয়, গোপিনীবৰ্গৰ হিয়াত উলাহ উপচি পৰে। ৰাম-কৃষ্ণ খোজ লব পৰা হল, ঘিট্‌মিট্‌কৈ লৰি ফুৰিব পৰাটি হোৱাত এইখিনিতে কৃষ্ণ, সেইখিনিতে কৃষ্ণ, সৌখিনিত গৈ কৃষ্ণ, একেঠাইতে এখন্তেকলৈকো কৃষ্ণক পোৱা টান হল, চঞ্চলা চপলাৰ দৰে চঞ্চল কৃষ্ণ ঠাইতে ওলায়, ঠাইতে লুকায়। "ধৰ ধৰ কলিয়া কলৈ পলায়" বুলি গোপিনীসকলে চাপৰি ধৰে, কৃষ্ণই উফৰি উফৰি লৰিবলৈ ধৰে। স্বতন্ত্ৰবীয়াকৈ ফুৰিব পৰা হবৰ পৰা যে ঘৰে ঘৰে কৃষ্ণ হল। ইঘৰত কৃষ্ণ, সিঘৰত কৃষ্ণ, সৌঘৰত কৃষ্ণ; ক্ষন্তেকৰ ভিতৰতে কৃষ্ণই কেইওঘৰ মাৰি ফুৰে;—সেই আপাহতে তেওঁক উমৈহতীয়া কৃষ্ণ বোলা যায়। সি যি হওক, এইদৰে আপোন মনেৰে ইঘৰ-সিঘৰকৈ ফুৰিব পৰাৰ ফলস্বৰূপ আদৰুৱা কৃষ্ণৰ প্ৰতাপত গোপিনীবৰ্গৰ চুৰ্ত্তি-শান্তি নোহোৱাত পৰিল। কৃষ্ণই চোৰৰ দৰে চুবুৰীয়াৰ ঘৰৰ ভিতৰত সোমাই যাৰে-তাৰে গাখীৰ, দৈ, মাখন, নৱনী পায়স, মিঠৈ আদি চুৰকৈ খাই ফুৰে; খাই খাই খাব নোৱাৰা হলে, আদ্দিকাখিনি উলিয়াই নি বান্দৰক খুৱায়গৈ, বান্দৰে নাখালে তাৰ খং দৈ ঘিঁউৰ ভাণ্ড আদিত সাৰেগৈ। চুৰ কৰিবলৈ গৈ যদি কাৰোবাৰ ঘৰত একো নাপায়, তেন্তে সেই ঘৰৰ শুই থকা কেঁচুৱাক জগোৱাই দি কন্দুৱাই পলাই লৰ মাৰে। আৰু আচৰিত এই'হে যে, কাৰ ঘৰত ক'ত কি থাকে, কৃষ্ণই উমানতে জানে। কৃষ্ণই ঢুকি নোপোৱাকৈ কোনো গোপিনীয়ে যেতিয়া দৈ, মাখন, মিঠৈ আদি ওপৰচাঙত তুলি লুকুৱাই থয়, তেতিয়া কৃষ্ণই পীৰা, উৰাল আদি যোৰা দি তাৰ ওপৰত উঠি ভাণ্ড নমাই আনি তৃপ্তি পলুৱাই ভোজন কৰি গুচি যায়, আৰু পীৰা উৰালাদি যোৰা দি উঠিও যদি ঢুকি নাপায়, তেন্তে কৃষ্ণই ভাণ্ডৰ তলিয়েদি ফুটা দি লৈ তাৰপৰা বৈ পৰা গাখীৰ, দৈ, ক্ষীৰ আদি মুখ পাতি খাই তুষ্ট হৈ ওলাই গুচি যায়। গোপিনীবৰ্গে তত্ নাপাই যশোদাৰ ওচৰত গোচৰ দিয়েগৈ। কৃষ্ণৰ ওপৰত দিনে-দহখন এনেকুৱা গোপিনী-গোচৰ যশোদাই শুনিব লগাত পৰে। কেতিয়াবা গোপিনীবৰ্গে কৃষ্ণক শুনাই শুনাই তেওঁৰ উদ্ভণ্ডালিৰ কথা মাকৰ আগত কয়গৈ; কৃষ্ণই গুচৰিয়ানী গোপিনীৰ চকুলৈ টল্‌টল্‌কৈ মক্‌মক্‌কৈ মাকৰ পিয়াহ পিবলৈ ধৰে। যশোদাই সেই বাবে নিজৰ পুত্ৰক এটি টান কথা কোৱাও নিলগতে থাওক আনন্দ-অধীৰা হৈ তেওঁ কৃষ্ণৰ মুখলৈ চাই চাই মিচিকি মিচিকি হাঁহে![২]

কৃষ্ণৰ নামে গোপিনীবৰ্গৰ গোচৰ শুনি শুনি যশোদাৰ আমনি লাগিল। নিৰুপায় হৈ, পাচলৈ তেওঁ কৃষ্ণক ৰখীয়া

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৮ম আধ্যা ১৪—১৮ শ্লোক।

(২) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৮ম আধ্যা, ১৯—১২ শ্লোক।

দিবলৈ ধৰিলে। সেই অৰ্থে, তেওঁ অগ্ৰজ বলৰাম আৰু আন-আন গোপল'ৰাবিলাকক কৃষ্ণৰ লগত উমলিবলৈ দিহা লগাই দিলে। সেই লগৰীয়াবিলাকে লগ নেৰা গতিকে, কৃষ্ণই আগৰ দৰে মুকলিমূৰীয়া হৈ গাখীৰ, দৈ, মাখন, মিঠৈ আদি চুৰকৈ খাবলৈ ছেগ নোপোৱা হল। সেইবাবে থং কৰি কৃষ্ণই এদিন মোকোৰা-মোকোৰে মাটিকে খাবলৈ ধৰিলে। লগৰীয়া ল'ৰাহঁতৰে সৈতে বলৰামে লৰি আহি ফোঁপাই-জেঁাপাই ততাতৈয়াকৈ এই বুলি যশোদাক গোচৰ দিলেহি, "আই! তোমাৰ গোপালে মাটি খাইছে।"[১] গোচৰ শুনি যশোদাই ততালিকে গৈ কৃষ্ণক হাতত ধৰি লৈ অলপ টানমুখীয়াকৈ এই বুলি সুধিলেগৈ, "অথিৰ ল'ৰা, তই মাটি খাইছিলি হয় নে?" ভয়ত ভেবালাগি কান্দো হৈ কৃষ্ণই উত্তৰ দিলে, "নাই, মাটি খোৱা নাই, আই! সিহঁতে মিছাকৈয়ে লগাই দিছেহি।" যশোদাই কলে, "বাৰু, ইবোৰক নপতিয়ালেও ককায়েৰ বলৰামক নপতিয়াম কিয়?" সেই কথাত কৃষ্ণই আকৌ এই বুলি উত্তৰ কৰিলে, "বাৰু, মোক নপতিওঁৱা যদি, মুখ মেলি দিওঁ চোৱাঁ।" এই বুলি কৃষ্ণই আঁ কৰি মুখ মেলি দেখুৱালে, যশোদাই কিন্তু কিবাহে দেখিলে!— দেখি বিস্ময় মানিলে যে, ল'ৰাৰ মুখত মাটি নাই, কিন্তু অন্তৰত গোটেই পৃথিবীখন!--বিশ্বব্ৰহ্মাণ্ডখন![২] মায়াত মোহ গৈ যশোদাই কৃষ্ণত এনেকুৱা অলৌকিকতা সততে দেখে!

এদিন কোনো সকাম উপলক্ষত ঘৰুৱা আলপৈচান ধৰা গোপিনীবৰ্গ আন-আন কাম-বনত লাগি থকা হেতুকে, নন্দপত্নী যশোদাই প্ৰাণপ্ৰতিম পুত্ৰ কৃষ্ণৰ ভোজনৰ অৰ্থে স্বয়ং দধিমন্থন কাম আৰম্ভ কৰিলে গৈ। যশোদাই যেতিয়া আঁচলেৰে মেঠনি মাৰি লৈ, আপোনা-আপুনি গুণ্‌গুণ্‌কৈ কৃষ্ণগীত গাই গাই দধিমন্থন কৰিছিল, তেতিয়া তেওঁ কিযে শুৱনী আৰু মোহিনীৰূপ ধৰিছিল! মন্থনজৰী সঘনে টনা টোঁহা কৰোঁতে তেওঁৰ হাতৰ মুঠিখাৰু ৰুনুকুজুনুকুকৈ বাজি উঠি, আৰু কাণৰ কঁৰীয়া চিপে-চিপে কঁপিবলৈ ধৰি সেই মনমোহা ৰূপৰ জেউতি চৰাইছিল; ইহাতে-সিহাতে থিট্‌-মিট্‌কৈ লৰি ফুৰা কৃষ্ণাইৰ কান্দোন মাজে-মাজে শুনি সন্তানৰ স্নেহত ঘনে ঘনে যশোদাৰ পয়োধৰ পয়োভৰ হৈ ফিন্দ্‌খাই উঠি জগতক পিপাসিত কৰি তুলিছিল; মন্থনৰ শ্ৰমত জৰি জৰি বিৰিঙি উঠা কপালৰ বিন্দু বিন্দু ঘাম যশোদাৰ পদুমৰ চকা যেন দুখনি গালেদি বৈ পৰি অনুপম শোভা ধৰিছিল; মন্থনৰ লাচে-লাচে নাচি যশোদাৰ নেঘেৰী-খোপাৰপৰা মালতী ফুলৰ পাহি উৰি উৰি সৰি সৰি পৰি মন্থনশালৰ শোভা বঢ়াইছিল। এনে মনোহৰ ৰূপ-লাৱণ্যৰ মাজত কোনোবা-ফালৰপৰা লৰি আহি ভমক্‌ কৰে কৃষ্ণই যশোদাৰ কাষ চাপিলেহি, সেই অনুপম ৰূপলীলাৰ জেউতি চতুৰ্গুণে চৰি উঠিল। যশোদাই আবেগপূৰ্ণ হেঁপাহেৰে আথেবেথে কোলাত তুলি লৈ বুকুৰ মেঠনি মেলি দি কৃষ্ণাইক স্তনপান কৰাবলৈ ধৰিলে। এনেতে, সিফালে আখাত তুলি দি অহা গাখীৰ উতলি বাগৰি পৰিবলৈ ধৰিলে, যশোদাই ঠাইতে কৃষ্ণক কোলাৰ-পৰা নমাই থৈ ততাতৈয়াকৈ লৰি গৈ আখাৰ কাষ চাপিলগৈ। ইফালে আধাপীয়া হৈ থং কৰি শিলগুটিৰে খুন্দিয়াই মন্থনৰ ভাণ্ড ভাঙি কৃষ্ণই আথামথা দৈবোৰ ভাণ্ডৰপৰা নি, এটা ওভতাই থোৱা উৰালৰ ওপৰত বান্দৰ বহাদি বহি লৈ আঁজলিয়ে-আঁজলিয়ে খাবলৈ ধৰিলে। যশোদাই ওলাই আহি দেখেহি দেখোন সৰ্ব্বনাশ! মাকক বিচুৰ্ত্তি হোৱা দেখি ভয়ত কৃষ্ণই তাৰপৰা পলাই লৰ মাৰিলে; যশোদাই হাতত এছাৰি লৈ পিচে পিচে খেদি নিলে[৩]। তাৰ পাচত, কৃষ্ণক ধৰি আনি মাকে এইবাৰ উৰাল এটাত বান্ধি থবলৈ মন কৰিলে। পিচে সেই অৰ্থে যশোদাই মনৰ উগুল-থুগুলত ৰচাকে বিচাৰি নাপায়; যিবা দুডালমান বিচাৰি আনে সিও চুটি হয়! শেহান্তৰত

(১) "একদা ক্ৰীড়মানাস্তে ৰামাদ্যা গোপবালকাঃ।
কৃষ্ণো মৃদং ভক্ষিতবানিতি মাত্ৰে ন্যবেদয়ন্‌॥"
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৮ম আধ্যা, ২৩ শ্লোক।

(২) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৮ম আধ্যা, ২৬—৩৩ শ্লোক।

(৩) শ্ৰীমদ্ভাগৱত দশম স্কন্ধ, ৯ম আধ্যা, ১—৫ শ্লোক।

কেইবাডালো পঘা জোৰা দি লৈ দামুৰি এৰাল দিয়াদি কৃষ্ণক এটা উৰালত বান্ধি থৈ যশোদা ক্ষন্তেকলৈ আকৌ ভিতৰ সোমাল[১]।

ইতি-ছেগতে ইফালে উৰালে সৈতে কৃষ্ণই পলাই লৰ মাৰিছিল, এনেতে যমজাৰ্জ্জুন নামে দুজোপা যঁজা অৰ্জ্জুন গছৰ গুৰিত উৰালটো পথালি হৈ যোঁট লাগি ৰলগৈ। কৃষ্ণই একেটা আঁজোৰতে গছ দুজোপা উভালি পেলাই চোঁচৰাই নি কেইনলমান গৈছে, তেনেতে গোপিনীবৰ্গৰে সৈতে যশোদাই থেদি গৈ ল'ৰাৰ অদ্ভুত কাৰ্য্য দেখি বিস্ময় মানিলেগৈ![২] অদ্ভুত ল'ৰাৰ অদ্ভুত কাণ্ডই যশোদা আৰু গোপিনীবৰ্গৰ আগৰ আন্তৰিক-অলৌকিক ভাৱ আগতকৈও ডাঠ্ কৰিলে। সিবিলাকে আথে-বেথে কৃষ্ণক মোকলাই ঘৰলৈ আনি অতৃপ্ত দৃষ্টিৰে চাবলৈ ধৰিলে, আৰু সেই দিনাৰপৰা সিবিলাকৰ অন্তৰত কৃষ্ণৰ প্ৰতি আসক্তি ক্ৰমাৎ প্ৰবল হৈ আহিল।

ঘিটৃমিটৃকৈ লৰি ফুৰা কৃষ্ণক চাওঁতেই যশোদা-আইযে কাচুতি এৰিব লগাত পৰিছিল, তাৰ পাচত যেতিয়া স্বতন্ত্ৰীয়াকৈ উমলি ফুৰিব পৰা হল, তেতিয়া চঞ্চল কৃষ্ণক তেওঁ চম্ভালে কেনেকৈ! এই খিনিতে কৃষ্ণ, সেই খিনিতে কৃষ্ণ, সৌ খিনিত গৈ কৃষ্ণ, - য'তে ত'তে কৃষ্ণ! এতিয়াই দেখিবাঁ গোপালে গৰু-পোৱালিৰ নেগুৰত ধৰি ওলমি লৰি ফুৰিছে, পাকতে আকৌ দেখিবাঁ কানাইয়ে লগৰীয়া ল'ৰা ছোৱালীৰ লগত ডেও দি উমলিব লাগিছে, এই মুহূৰ্ত্তত দেখিবাঁ কানুৱে হৰিণা-পোৱালি আগচিবলৈ চাপৰিত ঢপলিয়াই ফুৰিছে, পিচমুহূৰ্ত্ততে দেখিবাঁ গছৰ ডালে-ডালে বগাই সুৰে সুৰে পখীক সিঞাৰি কৃষ্ণই কিৰিলিয়াই ফুৰিছে, কেতিয়াবা হয়তো কলিয়াই ফুটুকি হৰিণ বুলি নাহৰ-ফুটুকি বাঘৰ পিচে পিচে খেদি বনত সোমাইছেগৈ, কেতিয়াবা আকৌ কৃষ্ণই বৰ ওখ গছৰ আগলৈ উঠি যমুনাত জঁপিয়াই পৰি কোবাল সোঁতত উটি গৈছেগৈ। ইত্যাদি কৃষ্ণৰ উদণ্ড লীলা-খেলাৰ সীমা-সংখ্যা নোহোৱাত পৰিল। কৃষ্ণৰ এনেবোৰ বিৰলা স্ফূৰ্ত্তি আৰু অদ্ভুত আচৰণ দেখি নন্দ-যশোদা চিন্তান্বিত হল, আৰু সেই বাবে সদৌ ব্ৰজ বাসীৰ মনত শঙ্কা লাগি আহিল[৩]। শেহান্তৰত সিবিলাক সদৌৱে মিলি আলচ পাতি এই স্থিৰ কৰিলে যে গাওঁৰ গৰখীয়া ল'ৰাবিলাকে যাতে কাচিতো কৃষ্ণৰ লগ নেৰে, নাইবা কৃষ্ণই যাতে অকলশৰীয়াকৈ ফুৰিবলৈ ছেগ নাপায়, তাৰ সুদিহা লগাব লাগে। সেই অনুসৰি পাচলৈ গোকুলৰ ল'ৰা-ছোৱালীবিলাকে কৃষ্ণৰ লগ সমূলি নেৰাই হল। সিবিলাকে কৃষ্ণৰ গা-চোৱা লগৰীয়া হবলৈ সততে, উৰুলীকৃত হৈ আছে। সেইবাবে সিবিলাকে "একেই বুঢী নাচনী, তাতে নাতিনীয়েকৰ বিয়া" যেন হে পালে। যি গোপিনী-ছোৱালীয়ে কৃষ্ণদৰ্শনত মোহ গৈ ঘৰৰ কাম-বনলৈ পাহৰে, যি গৰখীয়া ল'ৰাই কৃষ্ণৰ লগত উমলিবলৈ পালে গৰু চৰাবলৈ পাহৰে, সেই ছোৱালী আৰু সেই ল'ৰাৰ মানত কৃষ্ণৰ গা চোৱা বাবৰ সমান প্ৰীতিকৰ কৰ্ত্তব্য আৰু কি হব

---

(১) সেই আপাহতে কৃষ্ণক দামোদৰ বোলা যায়। আৰু, 'দমন' শব্দই গৰুৰ পঘাকো বুজায়, এতেকে পঘাৰে সৈতে বন্ধা হৈছিল বুলিও কৃষ্ণৰ আন এটা নাম 'দামোদৰ' হয়।

(২) (ক) বিষ্ণুপুৰাণ, নাৰদপুৰাণ, পদ্মপুৰাণ আৰু ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ মতে এই গছ দুজোপা প্ৰকৃতপক্ষত দুজন যক্ষ, নাৰদ মুনিৰ শাপগ্ৰস্ত হৈ সিবিলাকে পৃথিবীত জন্মগ্ৰহণ কৰিছিল। পিচে, এই ছেগতে বিষ্ণুৰ অৱতাৰ শ্ৰীকৃষ্ণৰ হাতত মুক্তি লাভ কৰি দুয়ো পুনঃ যক্ষধামলৈ গতি কৰিলে।

(খ) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৯ম আধ্যাৰ ১৭ শ্লোকত এই সম্বন্ধে আৰু অলপ বহলাই কোৱা হৈছে। সেই মতে এই গছ দুজোপা নলকুবেৰ আৰু মণিগ্ৰীৱ নামে কুবেৰ দেৱতাৰ দুজন যঁজা পুত্ৰ, নাৰদ মুনিৰ শাপত পৰি সিবিলাকে পৃথিবীত উদ্ভিদ্ ৰূপে জন্মধাৰণ কৰিছিল। পিচে, যথাসময়ত কৃষ্ণৰূপী বিষ্ণুৰ দ্বাৰাই সেই ছেগতে শাপমুক্ত হৈ দুয়ো পুনঃ স্বৰ্গগামী হয়।

(গ) পুৰাণাদিৰ তথ্য পাঠকে যি ভাৱে লয় লব, কিন্তু সেই যঁজা গছ দুজোপা সম্ভৱতঃ অৰ্জ্জুন গছৰ দুজুপি যঁজা পুলি আছিল, অসাধাৰণ বলৱন্ত ল'ৰা শ্ৰীকৃষ্ণই লৰৰ বেগত তাক উভালি পেলোৱাটো একো আচৰিত মানিবলগীয়া কথা নহয়।

(৩) বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, ৫ম আধ্যা।

পাৰে! মাক-বাপেকৰপৰা এই বিষয়ক উপদেশ পোৱাৰ দিন ধৰি গোকুলৰ ল'ৰা-ছোৱালীবিলাক নিতৌ নিচেই পুৱাতে চাপি নন্দৰ চ'ৰা ভৰি পৰেহি। লগৰীয়া ল'ৰা-ছোৱালী অহাৰ গম্ পালেই কৃষ্ণই উলাহত ডেও দি কিৰিলি মাৰি উঠি লৰি ওলাই আহি সিবিলাকৰে সৈতে সাবটা সাবটি কৰি চেনেহা-চেনেহীকৈ আনন্দত উধাও হয়! তাৰ পাচত, আটাইটিকে লগত লৈ অমায়িক কৃষ্ণ উক্লীকৃত হৈ উমলিবলৈ ওলাই যায়। গোকুলৰ গোপিনীবৰ্গেও সততে চঞ্চল কৃষ্ণৰ প্ৰতি স্বভাৱতে অছেদ দৃষ্টি ৰাখে। কিয়নো, সিবিলাকে চেনেহৰ কানাইক প্ৰেমৰ পুতলি যেন দেখে। কলিয়া কানুক পালে সিবিলাকে নিজৰ ল'ৰা-ছোৱালীকো পাহৰে। কৃষ্ণক চাবলৈকে গোপিনীসকলে ঘৰৰ বন-বাৰি এৰি আহি যশোদাৰ বুলনিত বহি থাকেহি। কৃষ্ণৰ বিষয়ে কথন-মথন কৰি সিবিলাকে পৰম-প্ৰীতি লাভ কৰে। কৃষ্ণৰ নামে গোচৰ দিয়াটোও সিবিলাকৰ মানত পৰম আনন্দৰ বিষয়। গোপিনীসকলে যশোদা-আইৰ আগত কৃষ্ণৰ নামে নিতে ন-খন গোচৰ দিয়েহি, কিন্তু কেৱে তাৰ প্ৰতিকাৰ নিবিচাৰে।

কৃষ্ণ দেখিবলৈকো বৰ ৰূপহ। তেওঁ থিয় দিয়াৰ ঠগ্ তিনিভঁজীয়া। কৃষ্ণ পাৱৰ পটা দুখনি দুটি নীলপদুমৰ চকা যেন। কোমল কানুৰ কৰঙন দুটি দুজুপি দামৃকলৰ পুলি যেন। কৰুণ-কানাইৰ কঁকালটি হৰৰ ডম্বৰু যেন। গোপাল-কৃষ্ণৰ মাজখাল হিয়াখনি মুঠনীয়া। কৃষ্ণ-গোবিন্দৰ হাতীশুৰীয়া বাহুদুটি আঁঠুলৈকে পৰা। নন্দনন্দনৰ বাবেঁ বেঁকা কণ্ঠটি শামুকীয়া শঙ্খ যেন। যশোদাতনয়ৰ ওঁঠ দুটি জেতুলিপকা যেন। বাসুদেৱৰ দাঁত দুপাৰি মুক্তাৰ পাঁতি যেন। দৈৱকীসন্তানৰ নাকটি তিলফুল যেন। কৃষ্ণৰ চকুযুৰি পদুমৰ কলি যেন। তেওঁৰ ধেনুভিৰীয়া চেলাউৰিয়ে কাণসটা চুমেগৈ। যদুমণিৰ চমকীয়া কপালখনি আকাশৰ চাপ্ যেন। কলিয়া কানাইৰ পিঠিত পৰা কেঁকোৰা চুলিটাৰ আকাশত উৰা মেঘৰ ঢৌ যেন। তনুশ্যাম কৃষ্ণৰ বৰণটি দুবৰিৰ কেওঁ যেন। কৃষ্ণাইৰ হাতৰ তলুৱা দুখানি ৰঙা লাতুৰমণি যেন। মাধৱৰ পাৱৰ পটা দুখানি সন্ধিয়াৰ হেঙুলি মেঘ যেন। কানুৰ কান্তিয়ে মদনক জিনে। বাসুদেৱৰ সন্মোহন চাহনিয়ে জগতক মোহে।—এনে জগন্মোহন কৃষ্ণৰূপ দৰশনত ভোল নাযায় কোন![১]

কৃষ্ণ বৰ বলৱন্ত ল'ৰা। ল'ৰাৰ গাত বল যিমান, মনত উলাহো সিমান। কৃষ্ণক গোকুলৰ তিনিটা-চাইটা সমনীয়া ল'ৰাই ধাৰও ৰাখিব নোৱাৰে। একোটা ঢপলিয়াই ফুৰা দমৰা কৃষ্ণই পিচৰপৰা নেগুৰত ধৰি একেচিপে ৰখায় গৈ। লৰি গৈ কৃষ্ণই ছিটিকি-পলোৱা হৰিণা-পোৱালি আগচেগৈ। ওমলোঁতে বাহ-ল'ৰাই কৃষ্ণৰ কঁকালত কাপোৰৰ ডোল লগাই ওলমি টানি ধৰে, কৃষ্ণই হেলাৰঙ্গে সেই বাহ-ল'ৰাক চোঁচোৰাই টানি লৈ যায়। এনেকুৱা অনেক প্ৰসঙ্গত শিশু কৃষ্ণৰ অদ্ভুত শক্তি দেখি ব্ৰজবাসীয়ে বিস্ময় মানিছিল।

কৃষ্ণৰ যেনে বল, তেনে সাহ। খুচিবলৈ খেদি অহা গৰু-গাই, ম'হ-মেঠোন আদি আগত পালে কৃষ্ণই ভগত ভগৰন্ত পলোৱাৰ আৰ্হিৰে আন-আন ল'ৰাৰ নিচিনাকৈ পলাই-পত্ৰং নিদিয়ে; তেওঁ ফেৰ পাতি লৈ, শিঙত ধৰি তেনেকুৱা বলবান খঙাল জন্তুকো বলেৰে হেঁচুকি ওভতাই পঠিয়ায়। গৰুৰ জাকত কেতিয়াবা বাঘ সোমালে লগৰীয়া গৰখীয়াৰ লগত চিঞৰ-বাখৰ লগাই গৰখীয়া কৃষ্ণ ভয়ত বিহ্বল নহয়, নন্দনন্দনে হাতত টাঙোন লৈ উলাহেৰে সেই বাঘক টঙনিয়াই মাৰিবলৈ খেদি হে যায়। যি জয়াৰ ঠাইলৈ জাক-ল'ৰায়ো যাবলৈ শঙ্কা কৰে, নিৰ্ভয় যশোদাতনয়ে তেনেকুৱা ঠাইলৈ অকলে নিঃশঙ্ক মনেৰে আগ বাঢ়ি যায়।

---

(১) যন্মৰ্ত্ত্যলীলৌপয়িকং স্বযোগমায়াবলং দৰ্শয়তা গৃহীতং।
বিস্মাপনং স্বস্য চ সৌভগৰ্দ্ধেঃ পৰং পদং ভূষণ-ভূষণাঙ্গং॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ২য় অধ্যা ১২শ শ্লোক।

অৰ্থাৎ, শ্ৰীকৃষ্ণৰ অঙ্গেই অঙ্গৰ ভূষণ; সেই মূৰ্ত্তিৰ শোভা বঢাবলৈ কোনো সাজপাৰৰ প্ৰয়োজন নাই। শ্ৰীকৃষ্ণৰ অঙ্গ-প্ৰত্যঙ্গ সকলো শোভাৰ আকৰ আৰু ভূষণৰো ভূষণ স্বৰূপ। নিজ ঐশ্বৰ্য্যেৰে নিজেই পৰিপূৰ্ণ ভগৱান শ্ৰীকৃষ্ণই স্বকীয় যোগমায়া বলেৰে স্বীয় সামৰ্থ্য প্ৰকাশ কৰি নৰলীলাৰ উপযোগী সাজ-সমলাদি পৰিধান কৰিছিল।

কৃষ্ণৰ সাহ চাই বুদ্ধি। গাৰ বলতকৈও কৃষ্ণৰ বুদ্ধিবল আচৰিত ধৰণেৰে চৰা। হঠাৎ শত্ৰুক জিনিবলৈ লগোৱা বাসুদেৱৰ উপস্থিত বুদ্ধি দেখি বিস্ময় মানিবলগীয়া হয়। বাঘ-ভালুক, ম'হ-মেঠোন আদি পাশৱ বনৰীয়া শত্ৰুক দমাবলৈ কৃষ্ণৰ যেনে তৎক্ষণীয়া বুদ্ধি, মানৱ শত্ৰুক জিনিবলৈকো দৈৱকীনন্দনৰ তেনে ততালিক বুদ্ধি। কৃষ্ণৰ ল'ৰা-কালত গোকুল-বৃন্দাবনত বিবিধ বনৰীয়া জন্তুৰ লগৰীয়া কেইজাতমান বনমানুহৰো বসতি আছিল। সেই বনমানুহৰ হাতত অলেখবাৰ যশোদা-তনয়ৰ অকাল-পতন হবলগীয়া হৈছিল; পিছে ততালিক বুদ্ধিৰ বলত নন্দনন্দনে অদ্ভুত-ভাৱে সিহঁতৰ গৰাহৰপৰা আত্মৰক্ষা কৰি তিষ্ঠিব পাৰিছিল।[১]

বাস্তৱতে, চালুকীয়া কৃষ্ণত অতিস্ফূৰ্ত্তি, অতিপ্ৰীতি, অতিতুষ্টি, অতিবল, অতিবুদ্ধি, অতিসাহ, অতিধৈৰ্য্য, অতি-দয়া, অতিক্ষমা, অতিস্নেহ, অতিপ্ৰেম, অতিদৃষ্টি, অতিভক্তি, অতি-আশা, অতি-আকাঙ্ক্ষা ইত্যাদি অতিচাৰ গুণাৱলী সন্নিবিষ্ট দেখি তেওঁৰ প্ৰতি অতি-প্ৰাকৃতিক আৰু অলৌকিক ভাব মানৱ অন্তৰত অযাচিতে উদ্ভাসিত হয়। এতেকে, সেই ভাব নন্দ-যশোদা প্ৰমুখ্যে ব্ৰজবাসীৰ অন্তৰত থিত্ লোৱাটো নিচেই স্বাভাৱিক। বিশেষকৈ, এই দৈৱকীনন্দন বাসুদেৱক ভাবী কংসাৰি বুলি যি সকলে আগৰেপৰা আভাস আৰু সন্তেদ্ পাই আছিছে, সি সকলৰ পক্ষে সেইভাব ততোধিক স্বাভাৱিক।

কিন্তু, ব্ৰজবাসীয়ে কৃষ্ণৰ প্ৰতি বিস্ময়জনক সন্দিহান চকুৰে চায় যদিও, অন্তৰৰ ভাব ফুটাই কবলৈ সাহ নকৰে; কিয়নো, নিজৰ গাত কোনো অলৌকিকতাৰ লক্ষণ ধৰা পৰা যেন দেখিলে, কৃষ্ণ বিনয়-নম্ৰতাৰ ভাপত জঁয় পৰি যায়! আন হাতে, কৃষ্ণক অকণমান মন-আমোলোৱা দেখিলেও গোপ-গোপিনী আদি ব্ৰজবাসীৰ অন্তৰ আন্ধাৰ হৈ পৰে। গতিকে, সিবিলাকে অন্তৰৰ অলৌকিক ভাব অন্তৰত পুহি, বাহিৰত স্বাভাৱিক ভাব দেখুৱাই ফুৰে! তথাপি, নন্দ-যশোদা প্ৰমুখ্যে ব্ৰজৰ গোপ-গোপিনী সকলোৱেই, আলেঙে-আলেঙে, কৃষ্ণই গম্ নোপোৱাকৈ, সততে গোপনে তেওঁৰ গা-চোৱা হৈ সাৱধানে চলিবলৈ ধৰিলে।

ষষ্ঠ আধ্যা

গোপাল কৃষ্ণ

প্ৰথম ছেদ

কৃষ্ণ যিমানেই বুজন হৈ আহিল, সিমানেই গোকুলত তেওঁৰ অপায়-অমঙ্গল আদি চৰি অহা যেন দেখা গল। নন্দ-যশোদা, গোপ-গোপিনী আৰু সদৌ ব্ৰজবাসীয়ে কৃষ্ণ-জীৱন বিষম শঙ্কাকুল দেখা হল। কৃষ্ণৰ বিপদৰ আশঙ্কাত সিবিলাক ভিতৰি অস্থিৰ হৈ পৰিল। এহাতে অপায়-অমঙ্গলৰ নানা ভয়ৰ কাৰণ, আনহাতে কৃষ্ণৰ চৰিত্ৰত বিবিধ অলৌকিকতা সিবিলাকে ভালেমান দিনৰপৰা লক্ষ্য কৰি আহিছিল। ওপৰত উনুকিয়াই অহা সেই নানান্ অপায়-অমঙ্গলৰ ভিতৰত এই কেইটাই সিবিলাকক বিশেষকৈ ভয় খুৱাইছিল; যেনে,—(ক) কৃষ্ণক পুতনাই-পোৱা, (খ) তৃণাৱৰ্ত্ত পখীয়ে কৃষ্ণক থাপ্ মাৰি আকাশলৈ উৰাই লৈ যোৱা, (গ) গাড়ীত ভৰা দি থোৱা মলা, চৰু, কলহ আদি বগৰাই পেলাই কৃষ্ণ তাৰ তলত পোত্ যোৱা দুৰ্ঘটনা। তাৰ উপৰিও, ওপৰত কৈ অহা কৃষ্ণৰ অতি-প্ৰাকৃতিক বা অলৌকিকতাৰ পটন্তৰে সিবিলাকক বিশেষকৈ বিচলিত কৰিবলৈ ধৰিলে। সেই কাৰণে, নন্দ-যশোদা আৰু বুঢ়া-মেথা দূৰদৰ্শী ব্ৰজবাসীয়ে মনে-মনে উপায় চিন্তিবলৈ ধৰিলে কেনেকৈ নো গোকুলৰ অপায়-অমঙ্গলৰ-পৰা আঁতৰ কৰি কৃষ্ণক নিৰাপদে ৰাখিব পাৰি। এইদৰে, ব্ৰজ-গোকুলত বসতি কৰা কালত দুটি দামকলৰ পুলি উঠাদি উঠি ৰাম-কৃষ্ণই সাতবছৰীয়া বয়সত ভৰি দিলে।[২]

এনেতে, ক'ৰবাৰপৰা কুকুৰ-নেচীয়া বাঘ এদল গোকুলত সোমালহি। সেই বাঘবোৰে জাকত সোমাই গৰু-পোৱালি সম্প্ৰতি তাৰ আভাস মাথোন পোৱা গৈছে।

(১) যথাঠাইত পাচেকৈ 'কালিয়দমন', 'প্ৰলম্ববধ' প্ৰভৃতি ঘটনাৱলীয়ে এই বিষয় ভাঠি সমৰ্থন কৰিব।

(২) বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, ষষ্ঠ পৰিচ্ছেদ।

ধৰি খাই গোপবিলাকৰ মহা পয়মাল কৰিবলৈ ধৰিলে[১] ; ইহাতে বাঘৰ-নেজত-ধৰা অসম সাহসী কৃষ্ণই আকৌ সততে ছেগ বুজি বাঘ বিচাৰি যোৱা হল! সেই কথাত ব্ৰজবাসী গোপসকল অতিকৈ আশঙ্কিত হৈ, অগত্যা এদিন নন্দৰ চ'ৰাত চাপি সদুপায় আলোচনা কৰিবলৈ বহিলগৈ। আলোচনাত উপনন্দ নামে এজন জ্ঞানী বৃদ্ধ গোপৰ প্ৰস্তাৱ মতে এই স্থিৰ হল যে, যিমান সোনকালে পৰা যায়, গোকুল এৰি গোপবৰ্গ আন কোনো সুচল ঠাইলৈ উঠি যাব লাগে। সকলোপ্ৰকাৰৰ সংশ্ৰৱলৈ চাই, বৃন্দাবনেই সেই সুচল ঠাই বুলি সিদ্ধান্তত উঠিল[২]। আৰু, সেই সিদ্ধান্ত কৃষ্ণৰো মনোমত হোৱাত বৃন্দাবনলৈকে সেই পমুৱা গোপবৰ্গ গোকুলৰপৰা উঠি গৈ অনতিপলমে নতুনকৈ পাম পাতিবগৈ লাগে বুলি গোপৰাজ নন্দৰ আদেশ প্ৰচাৰ হল।[৩]

যথাসময়ত টাম্বু বা টঙ্গি ঘৰবোৰ তুলি লৈ গাড়ীত ভৰা দি, গৰু-গাই, ল'ৰা-ছোৱালী আদিৰে সৈতে বাৰিষাৰ আগতে গোপবৰ্গ গোকুল এৰি গৈ বৃন্দাবনত থিতাপিত হলগৈ। এই ঠাই-সলনিত এনে বোধ হল, যেন ইফালে ৰাম-কৃষ্ণৰে সৈতে ব্ৰজবাসীৰ আগমণত বিতোপন বৃন্দাবনৰ জেউতি আৰু এচিপ চৰি উঠিল ; সিফালে ৰাম-কৃষ্ণ আৰু ব্ৰজৰ গোপ-গোপিনীৰ বিহনত উছন গৈ এৰা-পৰা এৰাবাৰীৰ দৰে গোকুলৰ শোভা শেঁতা পৰিল!

গোকুল এৰি যাওঁতে ব্ৰজবাসীয়ে প্ৰাণত বৰকৈ ব্যথা পাইছিল। বিশেষকৈ, ৰাম-কৃষ্ণৰ প্ৰাণে বৰকৈ কান্দিছিল। সিবিলাকে এখোজ আগলৈ আৰু এখোজ পিচলৈ কৰি হে গোকুল এৰিছিল। যি হওক, বৃন্দাবনে যেনিবা তাৰ আশু প্ৰতিকাৰ সাধিব পাৰিলে।—বৃন্দাবনৰ মনোমোহা দৃশ্য, গৰু-গাই আদি পালিবৰ সুচলাদি আৰু গোপ-উপনিবেশৰ উপযোগিতাই সিবিলাকৰ মনৰপৰা সেই আক্ষেপ সোনকালে নিলগ কৰিলে। ঘাইকৈ বৃন্দাবনৰ অতুলনীয় স্বাভাবিক শোভা-সৌন্দৰ্য্যাই ৰাম-কৃষ্ণৰ অন্তৰত অনুপম সুখ-শান্তি বিস্তাৰ কৰিলে। বৃন্দাবনৰ লাৱণ্য ঘনশ্যাম কলেৱৰত বিবিধ সোণালী গুটিফুলৰ আবৰণে বঢ়োৱা জেউতি বাস্তৱতে অনুপম। কৰুণনাদিনী মঙ্গলবাহিনী সুগভীৰ সুপ্ৰসন্ন কৃষ্ণসলিলা কালিন্দীৰ কুলু কুলু সুৰত সুৰ দিয়া বৃন্দাবনৰ কুলি-কণ্ঠৰ সুললিত প্ৰাকৃতিক গীতে তাপিতৰ হিয়া শাঁত কৰে! বৃন্দাবন-উদ্যানৰ কাষৰে-ভিতৰে-চৌপাশে ৰঙ্গা, নীলা, সেউজীয়া, হালধীয়া ফুল-ধৰা আৰু জালি-কটা কুঁহিপাত মেলা চিৰিলিপতীয়া শাৰী শাৰী নিকুঞ্জ মন্দিৰৰ শীতল ছয়াঁই স্বভাৱতে মানৱাত্মাক আপোন-পাহৰা কৰে! কদম, তমাল, নাহৰ, বকুল কাঞ্চন, পলাশ, শেৱালি আদি বিবিধ বিতোপন ফুল গছ-গছনিৰ হৃদয়-জুৰোৱা স্নিগ্ধ শোভাই বৃন্দাবনলৈ দেৱতাৰো মন আকৰ্ষণ কৰে! এনে হেন বৃন্দাবনত প্ৰৱেশ কৰি ব্ৰজবাসীয়ে গোকুলৰ বিৰহ-সন্তাপ পাহৰিবলৈ ধৰিলে। সিবিলাকে গোকুলৰপৰা তুলি অনা টাম্বু-টঙ্গি ঘৰ-দুৱাৰ বৃন্দাবনৰ এডোখৰ সুচল ঠাইত জোনবিৰীয়াকৈ[৪] পাতিবলৈ যুগুত দিহাকৰণৰ অৰ্থে মুনিহ-তিৰোতা সকলোটি উলাহেৰে লাগি গল। গছ-কটাই গছ কাটিলে, অঁতাওঁতাই অঁতালে, টঙ্গি সাজিলে, টাম্বু তৰাই টাম্বু তৰিলে[৫]। বৃন্দাবনত ব্ৰজবাসী গোপসকলে বিপুল আয়োজনেৰে সিবিলাকৰ নৱ উপনিবেশ দেৱতাবাঞ্ছিত সুখৰ বসতি থল কৰি তুলিলে। প্ৰকৃতি-প্ৰেমিক কৃষ্ণই[৬] সুযোগ্য অগ্ৰজ বলৰামৰ সুখসঙ্গত গোপ-

(১) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৬৪ আধ্যা।

(২) হৰিবংশ, বিষ্ণুপৰ্ব্ব ; ৬৫ আধ্যা।

(৩) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৯ম আধ্যা। হৰিবংশৰ বিষ্ণুপৰ্ব্বৰ ৬৪ আধ্যাত বৰ্ণোৱা ৰাম-কৃষ্ণৰ গৰথীয়া জীৱন মতে, গোপবৰ্গে চিন্তা-আলোচনা কৰাৰ আগেয়েই কৃষ্ণই এই বিষয়ক প্ৰস্তাৱ বলৰামৰ আগত ব্যক্ত কৰিছিল।

(৪) বিষ্ণুপুৰাণ, ৫ম খণ্ড, ৬ষ্ঠ পৰিচ্ছেদ।

(৫) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৬৫শ আধ্যা।

(৬) দশম স্কন্ধ ভাগৱতৰ, ১২শ আধ্যাৰ ৩৬শ শ্লোক-মতে বৃন্দাবনলৈ পোনেই আহোঁতে কৃষ্ণৰ বয়স ৫ পাঁচ বছৰত সোমাইছিল মাথোন। কিন্তু, হৰিবংশৰ বিষ্ণুপৰ্ব্বৰ ৬৪ আধ্যা, আৰু ৫ম খণ্ড বিষ্ণুপুৰাণৰ ৬ষ্ঠ আধ্যামতে ব্ৰজবাসী গোপসকল বৃন্দাবনলৈ উঠি আহোঁতে কৃষ্ণৰ বয়স ৭ বছৰ হৈছিল।

এতৎ কৌমাৰজং কৰ্ম্ম হৰেৰাত্মাহিমোক্ষণং।
মৃত্যোঃ পৌগণ্ডকে চাস্ত দৃষ্ট্বোচুৰ্বিস্মিতা ব্ৰজে॥

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ১২শ আধ্যা, ৩৬শ শ্লোক।

ল'ৰা-ছোৱালী আৰু গৰখীয়াবৃন্দক লগৰী লৈ মহানন্দে বৃন্দাবন বিহাৰ কৰিবলৈ ধৰিলে।

দ্বিতীয় ছেদ

কালিয়-দমন *

গোকুল এৰি অহাৰপৰা বছৰচেৰেকৰ পাচতে দেখা গল যে, বৃন্দাবনতো ব্ৰজবাসী নিৰাপদ নহয়। ইয়াতো ভালেমান বনৰীয়া জন্তুৱে গোকুলৰ দৰেই গোপৰাজ্যৰ নানান্ প্ৰকাৰ অপকাৰ কৰিবলৈ ধৰিলে। গোকুলৰ বন-মানুহতকৈও একাঠি চৰা দুৰ্দ্দান্ত বৃন্দাবনৰ কিছুমান বন-মানুহে ব্ৰজবাসীৰ প্ৰতি অহিত আচৰণ কৰিবলৈ ধৰিলে। বিশেষকৈ, সেই অহিতকাৰী জন্তু আৰু মানুহৰপৰা ৰাম-কৃষ্ণৰ জীৱন আকৌ শঙ্কাকুল হৈ পৰিল। সেই কাৰণে, বৃন্দাবনৰ পমুৱা গোপ ব্ৰজবাসীয়ে ছেগ পালেই আকৌ আন কোনো নিৰাপদীয়া ঠাইলৈ বসতি লুৱাবৰ অৰ্থে গুণ-গঁথা কৰিবলৈ ধৰিলে। পিচে, সেই কথাৰ সম্ভেদ্ পাই, ইহাতে বৃন্দাবনপ্ৰাণ কৃষ্ণয়ো পাৰ্য্যমানে সেই শত্ৰু-বোৰক বিনাশ কৰি গোপ-ৰাইজক নিৰাপদ কৰিবলৈ তলে তলে উপায়-যুগুতি কৰিবলৈ ধৰিলে।

গুৰিতে উনুকিযাই অহা হৈছে যে, বৃন্দাবনত নাগ নামে এজাত বন মানুহৰ বসতি আছিল। সিঁহতৰ মাজৰে কালিয় নামে এটা অতি দুৰ্দ্দান্ত আৰু সৰ্পসদৃশ ভীষণ প্ৰকৃতিৰ প্ৰতাপী মানুহ নাগ-ৰাইজৰ ঘাই নেতা বা ৰজা আছিল। তাৰ প্ৰতাপত সদৌ নাগ-ৰাইজ কম্পমান, সদৌ বৃন্দাবনবাসী ত্ৰস্তমান, ন-ভগনীয়া পমুৱা গোপ-বাসিন্দা-বৰ্গ সৰ্ব্বক্ষণত সশঙ্কিত হব লগাত পৰিছিল। আন কি, বনৰ পহু, ডালৰ পখীৰো ৰক্ষা নাই ;—কালিয় পৰিয়ালৰ তাপ-ভাপত পৰিলেই সিঁহত ভস্ম হোৱাদি হয়। কালিয় সপৰিয়ালে কালিন্দী যমুনাৰ এটা গভীৰ আৰু বহুল ঘুলিৰ পাৰত বাস কৰিছিল।[১] সেই ঘুলি[২] গোপ-উপনিবেশৰপৰা এক ক্ৰোশমান মাথোন আঁতৰ[৩]।

আজন্ম ৰাজনৈতিক পুৰুষ শ্ৰীকৃষ্ণই উমলিবৰ ছলতে লগৰীয়া গৰখীয়াবিলাকক সৈনিক শিক্ষা দিয়াৰো ছেগ ধৰিছিল। ওপৰত উনুকিউৱা শত্ৰুবিলাক বিনাশ কৰি বৃন্দাবনত গোপ-উপনিবেশ নিৰাপদ কৰাৰ উদ্দেশে তেওঁ গৰখীয়া ল'ৰাবিলাকেৰে সৈতে সোনকালে এটা সৈনিক দল গঠন কৰি তুলিলে। অকল সেয়ে নহয়, সময়ত অতি পৰাক্ৰমী শত্ৰুকো আক্ৰমণ কৰিব পৰাকৈ গৰখীয়াৰ লগতে বাছি বাছি ডেকা আৰু আদহীয়া গোপ সকলকো লগ লগাই লৈ সেই সৈনিক দল শকত-সবল কৰি তুলিলে। গৰখীয়া ল'ৰাবিলাকক সৈন্য সাজি, ডেকা আৰু আহদীয়া-বিলাকৰ মাজৰপৰা যোগ্যজনক সেনাপতি আৰু পালি-সেনাপতি পাতি, শ্ৰীকৃষ্ণই নিজৰ অগ্ৰজ বলৰামক ঘাই সেনাপতিৰ বাব দিয়ে।[৪]

---

* শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ১৬শ আধ্যা, ১—৫৬ শ্লোক।

(১) হৰিবংশ, শ্ৰীমদ্ভাগৱত আৰু অন্যান্য পুৰাণাদিত কালিয়ক এটা বিষধৰ সৰ্প বুলিহে বৰ্ণনা কৰা হৈছে। সেইমতে, সি কালিন্দীস্থ এটা হ্ৰদত বাস কৰিছিল। শ্ৰীকৃষ্ণই সেই হ্ৰদত জাঁপ দি পৰি, কালিযৰ লগত ঘোৰতৰ যুদ্ধ কৰি, অৱশেষত তাৰ ফণাৰ (বিষ্ণুপুৰাণমতে ৩টা, হৰিবংশমতে ৫টা, শ্ৰীমদ্ভাগৱত মতে এহেজাৰ) ওপৰত উঠি বাঁহী বজাই নাচি নাচি তাক তেজ বঁতিৱাই বশ কৰিলে। শেহান্তৰত, তাৰ ঘৈণীয়েকহঁতৰ স্তুতিত তুষ্ট হৈ শ্ৰীকৃষ্ণই কালিয়ক প্ৰাণে-মাথোন এৰি দি তাৰপৰা খেদি পঠিয়ালে। কালিয়ই কৃষ্ণৰ আদেশ অনুসৰি তাৰপৰা আঁতৰি গৈ সাগৰৰ মাজৰ ৰমণক নামে দ্বীপত বাস কৰিলেগৈ।

(২) পুৰাণ আৰু হৰিবংশত এই ঘুলিক হ্ৰদ বুলি হে নিৰ্দ্দেশ কৰা হৈছে। কিন্তু, হ্ৰদ, অথচ কালিন্দী নৈৰ বুকুত! কথাটো দেখাতে সঙ্গত যেন নেদেখি।

(৩) হৰিবংশৰ বিষ্ণুপৰ্ব্বৰ ৬৭ আধ্যাত কোৱা হৈছে যে, বৃন্দাবনত গোপ-উপনিবেশৰপৰা এক ক্ৰোশ উত্তৰে এই প্ৰকাণ্ড হ্ৰদৰ স্থিতি। দশম স্কন্ধ ভাগৱতৰ ১৬শ আধ্যাৰ ৮ম শ্লোকতো এই ঘুলি-কালিন্দীৰ গৰ্ভত এটা হ্ৰদ বুলি বৰ্ণোৱা হৈছে। হৰিবংশ মতে, কালিয় দমনৰ উদ্দেশে শ্ৰীকৃষ্ণই অগ্ৰজ ৰামৰ আগত মনোভাব ব্যক্ত কৰি, পাৰত থকা এজোপা কদম গছত উঠি তাৰপৰা এই হ্ৰদত জাঁপ দি পৰে।

(৪) এয়ে মহাভাৰতৰ উদ্যোগ পৰ্ব্বত উনুকিউৱা 'সংসপ্তক সেনাদল'।

গোপ-সৈনিক দল পৈণত হৈ উঠিলত, পোন-প্ৰথমতে শ্ৰীকৃষ্ণই বৃন্দাবনৰ প্ৰতাপী শত্ৰু কালিয়ক আক্ৰমণ কৰিলেগৈ। ফলত, দুই পক্ষৰ মাজত এখন তয়াময়াকৈ যুঁজ লাগিল। কিন্তু, কৃষ্ণৰ নিজ কৌশল আৰু সুশিক্ষিত সৈনিক দলৰ পৰাক্ৰমৰ আগত কালিয়ই সৰহ পৰলৈ তিষ্ঠিব নোৱাৰিলে, সি শেহান্তৰত পৰাজয় মানি বিজেতা কৃষ্ণত শৰণ মাগিলেহি। তাৰ পাচত, কালিয়ৰ ঘৈণীয়েকহঁতৰ আতুৰ স্তুতিত তুষ্ট হৈ[১] শ্ৰীকৃষ্ণই কালিয়ক প্ৰাণে-মাথোন এৰি দি, বৃন্দাবনৰপৰা বাজ হৈ সাগৰৰ মাজত নিৰ্জ্জন দ্বীপত[২] বাস কৰিবলৈ আদেশ দিলে। সেই অনুসৰি কালিয় ৰমণক দ্বীপত[৩] থিতাপিত হলগৈ। সেই দিনাৰপৰা এটা অতি দুৰ্দান্ত বনৰজাৰ উৎপাতৰপৰা বৃন্দাবনবাসীয়ে নিস্তাৰ পালে।[৪] সেই যুঁজত কালান্তৰ শত্ৰু কালিয়ৰ গৰাহৰপৰা কৃষ্ণক মুক্ত পাই ব্ৰজবাসীৰো আনন্দৰ সীমা নোহোৱা হল।[৫]

নিচেই সৰু এটি ল'ৰা,—সাত বছৰীয়াটি মাথোন। সেই ল'ৰাৰ হাতত চম্ফল ডেকা প্ৰবল প্ৰতাপী দুৰ্জ্জয় নাগপতি কালিয়ৰ পৰাজয়! এই অদ্ভুত কথাই গোটেই নাগৰাজ্যত বিস্ময় লগালে। ল'ৰাৰপৰা বুঢালৈকে, মতাৰপৰা মাইকীলৈকে সদৌ নাগ-নাগিনীয়ে এই অদ্ভুত ল'ৰা শ্ৰীকৃষ্ণৰ অদ্ভুত কাৰ্য্য দেখি আচৰিত মানিলে। শেহান্তৰত, সিহঁতৰ ভিতৰৰ যিবিলাক কালিয়ৰ লগত লগৰী হৈ ওলাল, সেইবিলাক দেশ এৰি বিদেশলৈ গলগৈ, বাকীবিলাকে আতুৰভাৱে শ্ৰীকৃষ্ণত শৰণ ললেহি।

"বনাগ্নি পান।"—সেই দিনা কৃষ্ণ-কালিয় যুঁজৰ সামৰণিৰ লগে লগে বেলি মাৰ গল। সেই যুঁজত লিপ্ত সংসপ্তক সেনাদল আৰু নন্দ-যশোদা প্ৰমুখ্যে কৃষ্ণৰ বিপদ আশঙ্কাত ব্যাকুল হৈ যুঁজৰ স্থললৈ যোৱা ব্ৰজবাসীসকল গোপ-উপনিবেশলৈ উলটিবলৈ আৰু সময় নহল, তাতে সাঁজ লাগিল। তাৰোপৰি, দিনটোৰ যুঁজৰ ভাগৰে ব্ৰজবাসী সংসপ্তক সেনানীক হেচি ধৰিলে। গতিকে, সেই ৰাতি তাতে জিৰাবৰ উদ্দেশে ৰাম-কৃষ্ণই কালিন্দীৰ পাৰত যথাসম্ভৱ সুবিধা কৰি দিয়াত, সেই ৰাতি তাতে পৰি সকলোটি টোপনি গল। এনেতে, কালিয়ৰ পৰিত্যক্ত বনৰাজাখন তিনি ফালৰপৰা সাবটি ধৰি তিনিকুৰা ভয়ঙ্কৰ দাবাগ্নিয়ে অভ্ৰংলেহী জিভা মেলি গোপ-গোপিনী আৰু গৰখীয়া সেনাবৰ্গক ৰাম-কৃষ্ণে সৈতে গ্ৰাহ কৰিবলৈ লক্লকাই গা পালেহি। অগ্নিৰ গুম্‌গুমনিত চাঁটকৰে সকলোটি সাৰ পাই উঠিল। নন্দৰাজ প্ৰমুখ্যে সমবেত ব্ৰজবাসী ভয়ত বিবুদ্ধি হল! কোনো ফালে গত্যন্তৰ নেদেখি আতুৰ গোপ-গোপিনী আৰু গৰখীয়াবৃন্দে আৰ্ত্তৰাৱ কাটি পাখি-ভগা শালিকীৰ দৰে চট্‌ফটাবলৈ ধৰিলে। এনে আসন্ন আপদত স্থিৰ বুদ্ধিৰ শ্ৰীকৃষ্ণই বয়সীয়া গোপবৰ্গ আৰু অবলা গোপিনীসকলক কালিন্দীৰ তীৰৰপৰা পানীয়ুৱলিলৈ নমাই থৈ, অগ্ৰজ ৰাম আৰু সংসপ্তক সৈনিকদলৰে সৈতে বনাগ্নিৰ বাহিৰ লুটিলৈ গৈ তাক নুমাবৰ যত্ন-কৌশলত ধৰিলেগৈ। এনেতে, অকস্মাৎ যমুনাৰ বুকুৰপৰা বৈ অহা বায়ুৰ প্ৰবল প্ৰতিকূল গতিত সেই বনাগ্নিয়ে ওলটা-জিভা মেলি সেহাবলৈ ধৰিলে। ইফালে অগ্নিৰ তাপত দগ্ধপ্ৰায় সেই গোপ-গোপিনীবৰ্গে অভাবনীয় উদ্ধাৰৰ আনন্দত আপোন-পাহৰা হৈ বিস্ময় মানি এই বুলি মুখে-মুখে কবলৈ ধৰিলে, "শ্ৰীকৃষ্ণই সিলুটিৰপৰা চোহা মাৰি সেই বনাগ্নি পান কৰি সিবিলাকৰ প্ৰাণ ৰক্ষা কৰিলে!" বাস্তৱতে, তেনে অৱস্থাত তেনে ধাৰণা নিচেই স্বাভাৱিক। সম্ভৱতঃ সেই

---

(১) অপৰাধঃ সকৃদ্ভৰ্ত্ৰা সোঢ়ব্যঃ স্বপ্ৰজাকৃতঃ।
ক্ষন্তুমৰ্হসি শান্তাত্মন্ মূঢ়স্য ত্বামজানতঃ॥
অনুগৃহ্ণীষ্ব ভগবন্ প্ৰাণাংস্ত্যজতি পন্নগঃ।
স্ত্ৰীণাং নঃ সাধুশোচ্যানাং পতিপ্ৰাণঃ প্ৰদীয়তাং॥
—শ্ৰীমদ্ভাগৱত, ১০ম স্কন্ধ, ১৬ আধ্যা, ৪৭ শ্লোক।

(২) নাত্ৰস্থেয়ংত্বয়া সৰ্প সমুদ্ৰং যাহি মা চিৰং।
সজ্ঞাত্যপত্যদাৰাঢ্যো গোনৃভিৰ্ভুজ্যতে নদী॥
—শ্ৰীমদ্ভাগৱত, ১০ম স্কন্ধ, ১৬ আধ্যা, ৫৩ শ্লোক।

(৩) দ্বীপং ৰমণকং হিত্বা হ্ৰদমেতমুপাশ্ৰিতঃ।
যদ্ভয়াৎ স সুপৰ্ণস্ত্বাং নাদ্যান্মৎপাদলাঞ্ছিতং॥
—শ্ৰীমদ্ভাগৱত, ১০ম স্কন্ধ, ১৬ আধ্যা, ৫৬ শ্লোক

(৪) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৬৮ আধ্যা।

(৫) বিষ্ণুপুৰাণ, ৫ম খণ্ড, ৭ম আধ্যা।

বনাগ্নি কালিয় পক্ষীয় বনমানুহবোৰে থঙৰ ওপৰত লগাই দিছিল শ্ৰীকৃষ্ণক সদলে পুৰি মাৰিবলৈ বুলি। ইয়াকে 'বনাগ্নি-পান' বা 'দাবাগ্নি-ভক্ষণ' বোলা যায়।[১]

গোপ-উপনিবেশতো শিশু কৃষ্ণৰ অসাধাৰণ কাৰ্য্য-কৌশলে সকলোকে চমক্ লগালে। ব্ৰজবাসীয়ে ইতিপূৰ্ব্বৰে-পৰা শ্ৰীকৃষ্ণত অলৌকিকতাৰ ভালেমান লক্ষণ দেখা পাই আহিছিল; গোকুলৰ গোটাচেৰেক অতি আচৰিত ঘটনাই সিবিলাকৰ সেই ধাৰণা ইতিপূৰ্ব্বেই ডাঠ্ কৰি থৈছিল। এতিয়া বৃন্দাবনত সাক্ষাতে 'কালিয়-দমন' আৰু 'বনাগ্নি-পান'ৰ নিচিনা অদ্ভুত কাৰ্য্যে গোপ-গোপিনী ব্ৰজবাসী-সকলৰ অন্তৰত সেই অলৌকিক ভাব আগতকৈও ডাঠ্ কৰিলে। বাস্তৱতে, গাৰ বল, মনৰ উৎসাহ, বুদ্ধিৰ প্ৰভাৱ, কাৰ্য্য-কৌশল, সাহ-পিত্, দূৰদৰ্শিতা আদি গুণৰ পৈণত পূৰ্ণকলা অকালত বিকাশ হোৱালৈ লক্ষ্য কৰিলে, শ্ৰীকৃষ্ণত অলৌকিকতা নুবুলিলেও অতিপ্ৰাকৃতিকতা ফট্‌ফটীয়াকৈ লক্ষিত হয়। সি যি হওক, 'কালিয়-দমন' আৰু 'বনাগ্নি-পান' ঘটনাৰ পাচৰপৰা বৃন্দাবন উপনিবেশী ব্ৰজবাসীৰ কৃষ্ণ-প্ৰেম আৰু কৃষ্ণাসক্তি কৃষ্ণ-ভক্তিত পৰিণত হল; সিবিলাকে তেতিয়াৰপৰা সকলো বিষয়তে শ্ৰীকৃষ্ণৰ নেতৃত্ব মানি চলিবলৈ ধৰিলে।

তৃতীয় ছেদ

বংশীবদন

গোকুলত থাকোতেই আপোনা-আপুনি শিশু কৃষ্ণই পেঁপা আৰু বাঁহী বজাবলৈ শিকিছিল। বৃন্দাবনত কৃষ্ণই নাচি নাচি পেঁপা বজায়, লগৰীয়া ল'ৰা-ছোৱালীবোৰে তাৰ চেৱে-চেৱে নাচি উধাও হয়। কদম গছৰ গাত ভেজনি দি তিনিভঙ্গীয়া শ্ৰীকৃষ্ণই বাঁহী বজায়, * ডালৰ চৰাই, বনৰ পছু, চাপৰিৰ গাই ঠৰ্ লাগি ৰয়! - হাঁফলুৰ ওপৰত-উঠি কৃষ্ণই লাও-বাঁহী বজায়, গাঁতৰপৰা ওলাই ফেঁটী সাপে মুগ্ধ হৈ ফণা নচুৱায়, আৰু বাঁহীৰ চেৱে-চেৱে চকু-পিৰিকিয়াই ভাবত বিভোল হয়। কেৱে নিশিকোৱাকৈ কৃষ্ণই সেইদৰে মোহন বাঁহী বজাবলৈ শিকা দেখি, ব্ৰজবাসীয়ে বিস্ময় মানিছিল। আৰু, উপজি আহোঁতেই যেন কৃষ্ণই মুখত বংশী লৈ আহিছিল, এনে অতিপ্ৰাকৃতিক ধাৰণাত গোপ-গোপিনী ব্ৰজবাসীয়ে কৃষ্ণৰ আন এটা নাম বংশীবদন থৈছিল। অদ্যাপি শ্ৰীকৃষ্ণৰ শিশু-লীলাৰ মহিমাত মুগ্ধ ভক্তবৃন্দে তেওঁক বংশীবদন ৰূপে পূজে।

চতুৰ্থ ছেদ

মুৰুলীধৰ,—বেণুধৰ

বৃন্দাবনলৈ আহিবৰপৰা কৃষ্ণৰ বাঁহীত বাপ্ বেচি হবলৈ ধৰিলে। তেওঁ নিজে ভাবি নিজে সাজি শিঙা, পেঁপা, বাঁহী, বেণু, মুৰুলী, লাওবাঁহী আদি কেইবাবিধৰো বাদ্য উলিয়ালে। তাৰ ভিতৰত বেণু, বাঁহী আৰু মুৰুলী আটাইতকৈ উত্তম। মুৰলীৰ-বাদন শুনোতাৰ হিয়াত গুৰ্‌গুৰকৈ বাজি উঠে! এই মুৰুলী বজাই শ্ৰীকৃষ্ণই বৃন্দাবন উপনিবেশী ব্ৰজবাসীৰ মন-প্ৰাণ নচুৱাই ৰাখিছিল। মুৰুলী মুখত লৈ কৃষ্ণই পাক দি দি বজাবলৈ ধৰে, গোপ ল'ৰা-ছোৱালীবোৰে সেই পাকে-পাকে উৰুলীকৃত হৈ নাচে! কৃষ্ণৰ বেণুৱে বৃন্দাবনত ব্ৰজৰ গোপিনীক এনে-দৰে মোহিত কৰিছিল যে, পাচলৈ কৃষ্ণই য'তে বেণু বজায়, গোপিনীবৰ্গে হাতৰ বন-বাৰী পেলাই ত'লৈকে উধাও হৈ চাপলি ধৰে; তাতে সেই মুৰুলীধৰ, সেই বেণুধৰৰ গাত-পাক দি দি নাচোন ধৰেগৈ! সেই আগাহতে বৃন্দাবনবাসীয়ে শ্ৰীকৃষ্ণক কেতিয়াবা মুৰুলীধৰ আৰু কেতিয়াবা বেণুধৰ বুলিও সম্বোধন কৰিছিল।

অকল বাদ্যতে নহয়, গীততো কৃষ্ণৰ বিশেষ বাপ

(১) শ্ৰীমদ্ভগৱত, দশম স্কন্ধ, ১৭শ আধ্যা, ১৫শ শ্লোক।

* (ক) হৰিবংশ, ৬৬ আধ্যা।

(খ) বিষ্ণুপুৰাণ, ৫ম খণ্ড।

(গ) পদ্মপুৰাণ, কৃষ্ণলীলা খণ্ড।

(ঘ) স্কন্দপুৰাণ, প্ৰভাস খণ্ড।

আছিল। বাঁহী বজাবলৈ যেনেকৈ কাৰোপৰা শিকা নাই, গীত গাবলৈকো তেনেকৈয়ে কৃষ্ণই কাৰো মুখে শিকা নাই। তেওঁ নিজে ৰচি নিজে গায়, আৰু আনকো গাবলৈ শিকায়। কৃষ্ণৰ তাল-মান-সুৰ কৃষ্ণৰেই; তাত কাৰো অকণ ছাঁ নাই। কৃষ্ণৰ ৰাগ-ৰাগিণী কৃষ্ণৰেই; তাত কাৰো অকণ ঠাঁচ্ নাই। কৃষ্ণৰ কি যে মধুৰ কণ্ঠ, কি যে সুললিত-সুৰ!—কলিয়া কুলিৰ জন্মই আগ নে, কলিয়া কৃষ্ণৰ জন্মই আগ ঠাৱৰাবলৈকে টান! কুলিৰ লগত কৃষ্ণক বিজাম নে, কৃষ্ণৰ লগত কুলিক বিজাম! বাস্তৱতে, শ্ৰীকৃষ্ণৰ গীত-বাদ্যত গোটেই ব্ৰজবাসী তন্ময়,—সদৌ বৃন্দাবন প্ৰতিধ্বনিত। এনে গাওঁতা, এনে বজাওঁতা পৃথিবীত দ্বিতীয় আছিল যেন মনে নধৰে। কৃষ্ণৰ সঙ্গীত প্ৰতিভাত প্ৰকৃততে অতি-প্ৰাকৃতিকতা লক্ষিত হয়। সেই হে ব্ৰজৰ গোপ-গোপিনী আৰু সদৌ বৃন্দাবনবাসীয়ে শ্ৰীকৃষ্ণত অলৌকিকতা আৰোপ কৰে, আৰু সেইটো সিবিলাকৰ পক্ষে নিচেই স্বাভাৱিক। সেই আপাহতে শ্ৰীকৃষ্ণক গীতিকণ্ঠও বোলা যায়।

সপ্তম আধ্যা

বৃন্দাবনবিহাৰী কৃষ্ণ

প্ৰথম ছেদ

এইদৰে গোপাল কৃষ্ণই গোপ-গোপিনীক গীত বাদ্যেৰে আকুল কৰি, লগৰীয়া গৰখীয়া ল'ৰা আৰু গোপিনী-ছোৱালীবৃন্দৰে সৈতে লগ-লাগি বৃন্দাবন বিহাৰ কৰিবলৈ ধৰিলে। সেই বিহাৰতে শ্ৰীকৃষ্ণৰ বাল্যলীলা বিকশিত হয়। সেই বাল্যলীলা লৈয়ে বৈষ্ণৱজগত আজি বিমোহিত। সেই বাল্য-লীলাৰ কাল শ্ৰীকৃষ্ণ-লীলাৰ সপ্তম * বছৰৰপৰা চতুৰ্দ্দশ বছৰলৈকে সাত বছৰ মাথোন।

শ্ৰীকৃষ্ণ সকৰেপৰা বৰ অমায়িক ল'ৰা আছিল। তেওঁ ল'ৰা, ডেকা, আদহীয়া, বুঢ়া সকলোৰে লগত সমানে মিলিব পাৰিছিল। কিয়নো, তেওঁ ল'ৰাৰ লগত ল'ৰা, ডেকাৰ লগত ডেকা, আদহীয়াৰ লগত আদহীয়া আৰু বুঢ়াৰ লগত বুঢ়া হব জানিছিল। ল'ৰাই ৰং-ধেমালিত কৃষ্ণক সততে আটাইতকৈ ঘাই মানি লৈছিল। যুঁজত ডেকাই তেওঁক সবাতকৈ বলী জ্ঞান কৰিছিল; আদহীয়াই সামাজিক আৰু ৰাজনৈতিক আলোচনাত তেওঁক আগ দিছিল; বুঢ়াই ধৰ্ম্ম-কৰ্ম্ম আৰু ঈশ্বৰ-চিন্তাত তেওঁৰ আৰ্হি লৈছিল। সিবিলাকৰ মানত শ্ৰীকৃষ্ণ পৰম অনুপম আদৰ্শ। সেইদৰেই জীয়াৰী, বোৱাৰী, শাহু সবাৰৰে কৃষ্ণৰ প্ৰতি সমান প্ৰেম, সমান ভক্তি আৰু সমান আসক্তি। কাৰো একো স্বাৰ্থ নাই, কিন্তু সকলোৰেই কৃষ্ণ-প্ৰেমত মুগ্ধ, কৃষ্ণ-ভক্তিত তন্ময়, আৰু কৃষ্ণ আসক্তিত বিমোহিত—ই অমায়িক কৃষ্ণৰ স্বভাৱসিদ্ধ অময়াপ্ৰেম! এই প্ৰেমত মুগ্ধ হৈয়ে ব্ৰজৰ গোপ-গোপিনী আৰু ল'ৰা-ছোৱালী উত্ৰাৱল-ভাৱে শ্ৰীকৃষ্ণৰ সঙ্গত বৃন্দাবন-বিহাৰী হৈছিল। এই বিহাৰ-কালত যিবিলাক অদ্ভুত বা অলৌকিক বা অতিপ্ৰাকৃতিক কাৰ্য্য তেওঁৰ দ্বাৰাই সম্পাদিত হৈছিল, তাৰ বাবে বৃন্দাবন-বাসীয়ে ভাৱে-ভঙ্গীয়ে শ্ৰীকৃষ্ণত ঈশ্বৰত্ব আৰোপ কৰিছিল; যদ্যপি তেওঁ নিজে তেনেকুৱা আখ্যাৰ ঘোৰ বিৰোধী আছিল। আৰু, কৃষ্ণ-বিৰোধী বাবেই সেই আন্তৰিক ভাৱ সিবিলাকে অন্তৰতে অতি সংগোপনে পুহিছিল, কাচিতো কৃষ্ণৰ সাক্ষাতে ব্যক্ত নকৰিছিল।

* (১) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৬৪ আধ্যা।

(২) বিষ্ণুপুৰাণ, ৫ম খণ্ড, ৬ আধ্যা।

(৩) শ্ৰীমদ্ভাগৱতমতে বৃন্দাবনৰ কৃষ্ণ পঞ্চম আৰু একাদশ বছৰৰ ভিতৰত হে ৰয়। কিয়নো, নন্দালয়ত শ্ৰীকৃষ্ণৰ বাস মুঠেই ১১ এঘাৰ বছৰ হে বোলা হৈছে। যেনে:

ততো নন্দব্ৰজমিতঃ পিত্ৰা কংসাদ্বি বিভ্যতা।
একাদশ সমাস্তত্ৰ গূঢ়াৰ্চ্চিঃ সবলোহৱসৎ।
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, দ্বিতীয় আধ্যা, ২৬ শ্লোক।

দ্বিতীয় ছেদ

গৰখীয়া-সবাহ

কবিৰ কল্পনা যেনে এটা প্ৰতিভাশীল আজন্ম বৃত্তি, শ্ৰীকৃষ্ণৰ ৰাজনীতি-জ্ঞানো তেনে এটা আজন্ম প্ৰবৃত্তি। কবিৰ কল্পনাৰ প্ৰথম বিকাশস্থান প্ৰকৃতি; কৃষ্ণৰ ৰাজনীতি প্ৰচাৰৰ থলও সেই প্ৰকৃতিজীয়াৰী গৰখীয়াশালি। বৃন্দাবন বিহাৰ কৰাৰ কালতে শ্ৰীকৃষ্ণই প্ৰকৃতিৰ লগত তেওঁৰ সম্বন্ধৰ পৰাকাষ্ঠা দেখুৱাইছিল, আৰু সেই ছেগতে জনসাধাৰণক অসাধাৰণ ৰাজনীতি-জ্ঞানৰ আভাস দিছিল। —একে গৰখীয়াই সেনা, একে গৰখীয়াই নেতা; একে গৰখীয়াই মন্ত্ৰী, একে গৰখীয়াই পাৰিষদ, একে গৰখীয়াই ৰজা, একে গৰখীয়াই প্ৰজা। সেই সেনা-প্ৰজা-পাৰিষদ লৈয়ে ঘাই নেতা বা গৰখীয়া ৰজা শ্ৰীকৃষ্ণই বৃন্দাবনত সাধাৰণ-তন্ত্ৰ-প্ৰণালীৰে এখন বিতোপন প্ৰকৃতি-ৰাজ্যৰ শাসন চলাইছিল। পৃথিবীত অদ্যাপি তেনেকুৱা এখন ওখ-খাপৰ সাধাৰণ-তন্ত্ৰ শাসন-প্ৰণালীৰ অন্যতম অৱতাৰণা হোৱা নাই।

নেতাচূড়ামণি শ্ৰীকৃষ্ণই এদিন লগৰীয়া গৰখীয়া সেনা-প্ৰজা-পাৰিষদবৰ্গৰ মনোৰঞ্জনাৰ্থে-এটি ৰাজহুৱা উৎসৱ পাতিবলৈ সঙ্কল্প কৰিলে। সেই উদ্দেশে ছেগ চাই এদিন যমুনাপাৰৰ আনন্দ-উদ্যানত এখন গৰখীয়া-সবাহ পতা হব বুলি চৌদিশে ঘোষণা কৰা হল। ঘোষণা শুনা মাত্ৰকে কৌতূহলত কেই ওফালৰপৰা গৰখীয়াবৃন্দ আহি আদেশ আৰু উপদেশ লবৰ উদ্দেশে কৃষ্ণৰ ওচৰ চাপিলহি। কৃষ্ণই অতি চেনেহেৰে সিবিলাকক এই উপদেশ দিলে যে, প্ৰস্তাৱিত উৎসৱ গৰখীয়া ৰাইজৰ আনন্দৰ অৰ্থে হে পতা হব, এতেকে, সেই উৎসৱৰ নিমিত্তে যি যি সাজ-সমল লগা হব, সেইবোৰ সিবিলাকে ৰাজহুৱাকৈ পচা তুলি গোটাই লব লাগিব, কিয়নো, সেইটো ৰাজহুৱা সবাহ। সেই দেখি সবাহৰ দিনা গাইপতি যেয়ে যি পায়,—মাহ, চাউল, পিঠা, দৈ, মাখন, গাখীৰ, ঘিঁউ-আদি সমল আনন্দ-উদ্যানলৈ টোপোলা বান্ধি লৈ যাব।

গৰখীয়া-সবাহৰ নিৰ্দ্ধাৰিত দিনৰ আগদিনা উপজি-পুৱাতে উঠি শ্ৰীকৃষ্ণই যশোদা আইক জনালে যে, সবাহলৈ যাবলৈ তেওঁক সোনকালে সাজু কৰি দিব লাগে। সেই সঙ্কেততে ককায়েক ৰামেও মাক ৰোহিণী দেৱীত সেই কথাকে জনালেগৈ। ঘোষণাত নিৰ্দ্ধাৰিত সময় বুজি ৰোহিণী আৰু যশোদায়ো ৰাম-কৃষ্ণক উৎসৱৰ উপযোগীকৈ বিভূষিত কৰিবৰ মানসে আগদিনাই লাগতিয়াল সঁজুলি সজাই থৈছিল। পুৱা সেইমতে, কৃষ্ণই উষ্টকিউৱা মাত্ৰে, দুই মাকে দুই পুতেকক বিতোপনকৈ মনৰ জোখাই সজাবলৈ ধৰিলে। দুইকো দুয়ো ক্ৰমে নীলা আৰু হালধীয়া বৰণৰ কাপোৰ পিন্ধাই কঁকালত মুকুতা আৰু বাখৰপতাই বনকৰা টঙ্গালি ৰজিতা খুৱাই আঁটি দি, হাতৰ ঠাৰিত আৰু বাউসিত বিবিধ ধুনীয়া ফুলৰ কলিৰে সৈতে গুঁথা ধুনীয়া লতাৰ খাৰু পিন্ধাই ভৰিত নেপুৰ বান্ধি দিলে, তৰোপৰি, এটিক নীলা আৰু আনটিক হালধীয়া ধুনীয়া পাৰিদিয়া পিঠি-ঢকা কাপোৰ গাঁঠি মাৰি দি, দুইবো হাতত ক্ৰমে শিঙা আৰু বাঁহী যতনাই দিয়া হল। সবাৰোপৰি, ৰামৰ শিৰত বগলী পাখিৰ আৰু কৃষ্ণৰ মূৰত ম'ৰা পাখিৰ চূড়া-লগোৱা মুকুট পিন্ধাই দি, ৰোহিণী যশোদাই ৰাম-কৃষ্ণক সজোৱা কাম সমাপন কৰিলে। তাৰ পাচত, নন্দৰাজৰ গোহালিৰপৰা গৰু গাই, দমৰা দামুৰি উলিয়াই আগত লৈ ৰাম কৃষ্ণই আনন্দ-উদ্যানৰ ফালে খোজ ললে,—ৰোহিণী-যশোদাই চকুৰ দেখালৈকে পিচৰপৰা চাই চাই চাই থাকি অতৃপ্তদৃষ্টি ঘূৰাই ভিতৰলৈ মুখ কৰিলে।

চাৰি-আলি-মূৰ পাই, কৃষ্ণৰ সঙ্কেত মতে, ৰামে শিঙা বজাই দি লগৰীয়া গৰখীয়াবিলাকক আহ্বান কৰিলে। শিঙাৰ সঙ্কেত পাই গৰখীয়া ল'ৰাবিলাকে এহাতে এছাৰি, একানে কাষলতিৰ তলে সবাহৰ সমলৰ জোলোঙা বান্ধি লৈ আগত আপোন-আপোন গৰুজাকৰে সৈতে কেইও-পিনৰপৰা ওলাই আহি লগ লাগিলহি। তাৰ পাচত, আগত সানমিহলি গৰুজাক আৰু সোঁৱে-বাঁৱে-পিচে তিনি শাৰীকৈ গৰখীয়াবিলাকক সজাই লৈ, গুৰি ধৰা নেতা শ্ৰীকৃষ্ণই মোহন বাঁহীত গা-তোলা সুৰ দিলে, লালীলগা গৰখীয়াবৃন্দে সেই সুৰতে সুৰ লগাই গীত গাই তাৰ চেৱে-

চেৰে নাচি নাচি আগুৱাবলৈ ধৰিলে। গোপ-উপনিবেশৰ মাজেদি হিয়া-নচুউৱা গীত-বাজনাৰে[1] সৈতে উপস্থিত হৈ নাচি-বাগি আগ বঢ়া শোভাযাত্ৰা চাবলৈ উৰুলীকৃত হৈ ওলাই আহি গোপ-গোপিনী আৰু গোপিনী-ছোৱালী-বিলাকে নঙলামুখত শাৰী পাতিলেহি, আৰু চকুৰ আঁৰ নোহোৱালৈকে ৰ-লাগি চাবলৈ ধৰিলে। তাৰ পাচত, সেই ভাগেই গৰখীয়াদল যেতিয়া যমুনাপাৰৰ আনন্দ-উদ্যান ওলালগৈ, তেতিয়া তাতে গৰু-গাইবোৰ চৰিবলৈ মেলি দি, এজোপা প্ৰকাণ্ড কদম গছৰ তলত সবাহৰ সাজ-সমল থুপ্‌কৈ থৈ, গৰখীয়াবৃন্দ নেতা-কৃষ্ণৰ আদেশ-উপদেশ সাপেক্ষে ক্ষন্তেক নীৰলে থুপ্‌খাই ৰল।

তৃতীয় ছেদ

বনমালী

ইতিমধ্যাতে শ্ৰীকৃষ্ণৰ সঙ্কেত অনুসৰি কৰ্ণধাৰ বলৰামে ৰাম-শিঙাৰ[2] আদেশী গট্ বজালে, সেই অনুসৰি ততালিকে গৰখীয়াবৃন্দে ৰাম-কৃষ্ণক কেন্দ্ৰ কৰি মণ্ডলাকাৰ হৈ থিয় দিলে। তাৰ পাচত, শিঙাধাৰী হলধৰক আগত লৈ, শ্ৰীকৃষ্ণই কদমৰ গাত পাক দি দি ঠেও ধৰি ধৰি বেণু বজায়, গৰখীয়াবৃন্দই তাৰ চেৰে চেৰে ঘূৰি ঘূৰি উৰুলীকৃত হৈ গায় আৰু নাচে। এইদৰে ভালেমানপৰ আনন্দত উধাও হৈ নাচ-বাগ্ কৰাৰ পাচত ৰাম-শিঙা আকৌ বাজি উঠিল, ততালিকে সেই গহীন বন নিজম পেলাই গীত-নাচ-বাজনা সামৰি আটাইটিয়ে ক্ষন্তেক নীৰলে থিয় দিলে। তাৰ পাচত, কৃষ্ণৰ সঙ্কেত অনুসৰি, গৰখীয়াবৃন্দে আপোন মনেৰে নানা তৰহৰ ৰং-ধেমালি কৰিবলৈ ধৰিলে। কোনোৱে কৃষ্ণৰ মুৰুলীৰ সুৰত মজি চালি-ধৰা ম'ৰা চৰাইৰ পিচে পিচে পাক দি নাচোন ধৰিলে। কোনোৱে বা বান্দৰৰ নেগুৰত ধৰি সিহঁতৰ দৰেই লফিয়াই, জঁপিয়াই, গা খজুৱাই উমলিবলৈ ধৰিলে; কোনোৱে বা কুলিক সিয়াঁৰি সিয়াঁৰি তাৰ কণ্ঠেৰেই তাৰ সুৰেৰেই শবদ তুলি নিটাল-বৃন্দাবন প্ৰতিধ্বনিত কৰিলে; কোনোৱে বা আকাশেদি উৰি যোৱা চৰাই ধৰিবলৈ বুলি উধাও হৈ উলটি মাটিত পৰি ধেমালিত কিৰিলিয়াবলৈ ধৰিলে, কোনোৱে বা ৰাজহাঁহৰ ঠগেৰে গহীনাই খোজকাঢ়ি গম্ভীৰ হৈ দেখুৱালে; কোনোৱে বা গছত উঠি মিঠা বনফল পাৰি আনি সবাহৰ সমলৰ লগত লগলগালেহি; কোনোৱে বা যমুনা নৈৰ কোবাল সোঁতত উটি গৈ সাঁতুৰি-নাদুৰি আকৌ পাৰত উঠিছেহি[3]। এনেতে, এজন বুজন গহীন গৰখীয়াই হাতবাউল দি মাতি সকলোটিকে থুপ্‌খুৱাই লৈ, এই প্ৰস্তাৱ কৰিলে যে, সেই বনৰ মাজত, সেই গৰখীয়া সবাহৰ উৎসৱত, সেই কদমৰ তলত, সিবিলাকৰ অতি চেনেহৰ নায়ক শ্ৰীকৃষ্ণক ৰজা, আৰু তেওঁৰ মৰমৰ ককাইদেৱাক বলৰামক মন্ত্ৰী পাতি লৈ সিবিলাকে প্ৰজাৰ আনন্দ উপভোগ কৰিব খোজে। প্ৰস্তাৱটি উঠামাত্ৰে সকলোৰে সন্মতিক্ৰমে হাতচাপৰি আৰু উচ্চৰৱৰ সমৰ্থনেৰে ততালিকে গৃহীত হল, আৰু শ্ৰীকৃষ্ণৰ "মৌনেন সম্মতিলক্ষণম্" লাভ কৰি, গৰখীয়াবৃন্দে ৰাম-কৃষ্ণৰ ঘৰুৱা সাজ-পাৰ সলাই থৈ, বন-লতা-পাত-ফুল আদি সমলেৰে দুইকো ৰজা মন্ত্ৰী সজাবলৈ ধৰিলে! আৰু, সেই গৰখীয়া-ৰজা আৰু গৰখীয়া-মন্ত্ৰীৰ শিৰৰপৰা ম'ৰাপাখি আৰু বগলীপাখিৰ চূড়া লগোৱা মুকুট সলাই বন-লতা-পাতেৰে সজা গৰখীয়া ৰাজমুকুট পিন্ধোৱা হল। তাৰ পাচত, গছৰ ডাল-পাত আদিৰে সৈতে সজা সিংহাসনত বহুৱাই বনমালী গৰখীয়া-ৰজা পাতি সকলোটিয়ে ৰাজকীয় নিয়মে শ্ৰীকৃষ্ণত ওলগ ললে। সেই অৱধি সেই অপাহতে শ্ৰীকৃষ্ণৰ আন এটা নাম 'বনমালী' হয়।

(১) আজিকালিৰ বেণ্ড-বাজনা তাৰ নেওচা যাওক!
(২) এতিয়াৰ বিকুল (Bugle)।
(ক) পৰীতো বৎসপৈৰ্বৎসাংশ্চাৰয়ন্ বাহৰৱিভুঃ।
যমুনোপবনে কূজদ্দ্বিজসঙ্কুলিতাঙ্ঘ্ৰিপে॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, প্ৰথম আধ্যা, ২৭ শ্লোক।

(৩) শ্ৰীমদ্ভাগৱত পুৰাণৰ বহুল বৰ্ণনা মাথোন চমু চপাই ধৰা হৈছে। আনবিলাক পুৰাণ আৰু হৰিবংশত এই মনোহৰ বৰ্ণনা নাই; যি আছে সি ভাগৱত সমলৰ সমানে সোৱাদ লগাব পৰা নাই।

শ্ৰীকৃষ্ণক ৰজা আৰু বলৰামক মন্ত্ৰী পাতি লৈ গৰখীয়াবৃন্দে সিবিলাকৰ ওচৰত নানা তৰহৰ গোচৰ আগ-বঢ়াই তাৰ সুবিচাৰৰ প্ৰাৰ্থনা কৰাৰ ভাও দিবলৈ ধৰিলে। সেই সময়ত, গৰখীয়া-আদালতৰ আৰ্হিৰে কোনো গৰখীয়াই ৰজাৰ মুকুটৰ ওপৰত তালপাতৰ ৰাজছত্ৰ ধৰিলেহি, কোনোৱে কাটোৱালৰ বাব লৈ দুপাশে দণ্ডধাৰী হৈ থিয় দিলে ; কোনোৱে বা দুৱৰীৰ ভাও, কোনোৱে বা প্ৰহৰীৰ ভাও, কোনোৱে বা চাওডাঙৰ ভাও ধৰিলে। তাৰ পাচত, ভিন্ ভিন্ অপৰাধীক বান্ধি আনি ৰজাৰ আগত থিয় কৰোৱা হল, আৰু গৰখীয়া-ৰজাই গম্ভীৰ মূৰ্ত্তি ধৰি দোষীক সমুচিত দণ্ড বিহি প্ৰকৃতি-ৰাজৰ ভাও দিবলৈ ধৰিলে। ইত্যাদি নানা তৰহৰ ৰং-ধেমালিৰে সৈতে শ্ৰীকৃষ্ণৰ অভিষেক-দৰবাৰৰ কাৰ্য্য সমাপন কৰা হল।

চতুৰ্থ ছেদ

ধেনুকাসুৰ বধ *

যেতিয়া বেলি ভাটী দিলে, ৰ'দৰ তাপ পাতলি আহিল, তেতিয়া কৃষ্ণৰাজৰ সঙ্কেতমতে সবাই উপলক্ষীয় গীত, নাচ, বাজনা আৰু বিবিধ ৰং-ধেমালি সামৰি ৰাম-কৃষ্ণ সমন্বিতে সকলোটি স্নান কৰিবৰ উদ্দেশে যমুনাত নামিল গৈ। স্নানৰ পাচত, আকৌ কদমৰ তলত সবাহৰ থলত সকলোটি ৰাম-কৃষ্ণক মাজত লৈ মণ্ডলাকাৰ হৈ বহিলহি। সিবিলাকৰ ভিতৰৰে কেইজনমান থুলন্তৰ লগৰীয়াই বিলনীয়া উঠি, এজনে ভকত-মণ্ডলীৰ আগে আগে পদুমপাত পাৰি দিয়াত, দুজনমানে পাতে-পাতে সবাহৰ নৈবেদ্য বিলাই দিলেহি। তাৰ পাচত, আনন্দ-ভোজন আৰম্ভ হল, সকলোটিয়ে হৃষ্ট চিত্তেৰে হাঁহি-মাতি ভোজন কৰিবলৈ ধৰিলে। এনেতে, ওচৰৰ এজোপা গছত বগোৱা লতাত লাগি পকি ওলমি থকা গোটাদিয়েক বেলি-পকা গুটি দেখি তালৈ কেজনমান গৰখীয়া-ভকতৰ বৰ লোভ লাগিল, আৰু এজনে গছৰ গুৰিত ঘূৰি-পকি থকা বনৰীয়া গাধ এটালৈ আঙুলিয়াই আক্ষেপ কৰি কলে যে, সেই অসুৰ যেন বনৰীয়া জন্তুটোৱে ফেৰ পাতি নথকা হলে, সিবিলাকে সেই পকাফল পাৰি আনি ভকতত লগাবহি পাৰিলেহেঁতেন। এই কথা কৃষ্ণৰ কাণত পৰা মাত্ৰে তেওঁ ককায়েক ৰামৰে সৈতে ততালিকে উঠি গৈ গছৰ গুৰি চাপিলগৈ। তাৰ পাচত, ধেনুক নামে সেই বনৰীয়া গাধটো ৰামক গতাই দি, কৃষ্ণ বেলিপকা পাৰিবলৈ গছত উঠিল। সিফালে বলৱন্ত বলৰামে অলপপৰ জন্তুটোৰে সৈতে যুঁজ-বাগৰ কৰি তাক নিপাত কৰিলে, আৰু ইফালে কৃষ্ণই ফল পাৰি আনি গৰখীয়া-ভকতসকলৰ পাতে পাতে বিলাই দিলেহি। এই বনগাধ সংহাৰকে 'ধেনুকাসুৰ বধ' বোলা যায়।

সদৌশেহত, যেতিয়া সন্ধ্যা চাপিল, নিজ ৰশ্মিজাল সামৰি লৈ ৰঙামুখে ৰঙাবেলি অস্তাচলত বহিলগৈ, তেতিয়া কৃষ্ণৰ সঙ্কেত অনুসৰি সামৰণি ৰামশিঙা বাজি উঠিল ; আৰু ততালিকে গৰখীয়াবৃন্দ চাপি-কুচি আহি বনমালী ৰজাৰ আগত থুপ্ খালেহি। তেতিয়া শ্ৰীকৃষ্ণই মোহন মুৰুলীত মুখ দি গোটাদিয়েক বছা বছা গট্ বজাবলৈ ধৰিলে। সেই সন্ধিয়াপৰত মুৰুলীৰ সুৰ আকাশ-পাতাল ভেদি বাজি উঠিল, গোটেই বৃন্দাবন প্ৰতিধ্বনিত হল, চৰাই-চিৰিকতি ডালত পৰি ৰ-লাগিল ; বনৰ হৰিণা মূৰ তুলি ঠৰ্ লাগিল, চাপৰিত চৰি থকা গৰু-গাই চাপলি ধৰি ওচৰ চাপিলহি ; আৰু গৰখীয়াবৃন্দই গহীন ঠংগেৰে ঠেও ধৰি নাচোন ধৰিলে ; সিফালে দূৰ-দূৰাণত গোপ-উপনিবেশত যিমানলৈকে কৃষ্ণৰ মুৰুলীৰ মোহন সুৰ শুনা গৈছিল, সিমানলৈকে গোপ-গোপিনীসকলে হাতৰ বন-বাৰী পেলাই ঠৰ লাগি শুনিবলৈ ধৰিলে। তাৰপাচত, শ্ৰীকৃষ্ণই মুৰুলী থৈ বাঁহী ললে, বাঁহী থৈ বেণু ললে, বেণু থৈ গীতত ধৰিলে। গীতিকণ্ঠ কৃষ্ণৰ কৰুণ কণ্ঠৰ বিষয়ে আগেয়েই উনুকিয়াই

* ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত ধেনুকাসুৰকে প্ৰলম্ব বুলিছে ; ভাগৱত আৰু আনবোৰ পুৰাণে কিন্তু সেইটো সমৰ্থন নকৰে, আমিও নকৰোঁ। কিয়নো, ধেনুকাসুৰ পাশৱ (গাধ) আকৃতিৰ, কিন্তু প্ৰলম্ব মানৱ আকৃতিৰ। প্ৰলম্বক বনমানুহৰ লেখত ধৰিব পৰি।

অহা হৈছে। তেওঁৰ কণ্ঠৰ গীতত বৃন্দাবন বিমোহিত! কৃষ্ণ-গীতৰ হৃদয়গ্ৰাহী ভাব, মৰ্ম্মস্পৰ্শী সুৰ আৰু গা-তোলা তালত উৎফুল্লীকৃত হৈ গৰখীয়া সেনাপতি মন্ত্ৰী বলৰামৰ সঙ্কেত অনুসৰি, গৰখীয়াবৃন্দে আগে আগে ঘৰমুৱাকৈ গৰু-গাই খেদি লৈ ওলটা শোভাযাত্ৰা কৰি গোপ-উপনিবেশ সোমালেহি ; তাৰ পাচত আকৌ সেই চাৰি-আলিমূৰৰপৰা সকলোটি দিহাদিহিকৈ গৰুৰ জাক খেদি লৈ নিজ নিজ ঘৰ পালেগৈ।*

পঞ্চম ছেদ

বৃষাসুৰ বধ

এদিন গৰখীয়াবৃন্দৰে সৈতে পৰিবৃত হৈ সুমধুৰ আলাপী পখীসৰে ছাটিধৰা গছ-গছনিৰে সুশোভিত যমুনাপাৰৰ উপবনত ৰাম-কৃষ্ণই গৰু চৰাই ফুৰিছিল। আন-আন দিনাৰ দৰেই সেই দিনাও গৰখীয়া ল'ৰাবিলাকে নানা তৰহৰ ধেমালি পাতি ৰং কৰি ফুৰিছে ;—কোনোৱে লৰি গৈ গছত উঠেগৈ, কোনোৱে ডালৰপৰা জাঁপ মাৰি মাটিত পৰেহি ; কোনোৱে ইজোপা বনৰপৰা সিজোপাত পলায়গৈ, কোনোৱে আকৌ পলৰীয়াক বিচাৰি হাবাথুৰি খাই ফুৰে; কোনোৱে কৃষ্ণৰ বাঁহীৰ সুৰত সুৰ মিলাই পেঁপা বজায়, কোনোৱে বলৰামৰ শিঙাৰ ধ্বনিত প্ৰতিধ্বনি তুলি উকি মাৰি ৰিঙিয়ায় ; কোনোৱে কৃষ্ণৰ গীতি-কণ্ঠৰ লগত কণ্ঠ মিলাই গীত গায়, কোনোৱে ৰামৰে সৈতে লগলাগি তালে-তালে চাপৰি বজায়। এইদৰে নাচি-বাগি উমলি ফুৰোঁতেই বেলি দুপৰ হল ; গৰখীয়াবৃন্দ ভোক-পিয়াহত আতুৰ হোৱা যেন দেখা গল। কৃষ্ণই তালৈ লক্ষ্য কৰা মাত্ৰে ৰাম-শিঙা বাজি উঠিল ; সঙ্কেত পাই সকলোটিয়ে বনৰ মাজত সোমাই কল্মৌ পাৰি খাবলৈ ধৰিলে। তাৰ পাছত, যমুনাত নামি পিয়াহ পলুৱাই পানী খাই আটাইটি পাৰলৈ উঠি আহি আকৌ সেই উপবনত কৃষ্ণ আৰু বলৰামক বেৰি ধৰি জুম্ বান্ধিলেহি। এনেতে, সেই উপবনত অন্ধ জীৱ-জন্তুক খুচি-মাৰি মতলীয়া হৈ ফুৰা এটা দুৰ্দ্দান্ত অসুৰ যেন ভয়ঙ্কৰ বৃষ১ সেইখিনিতে শিং জোকাৰি ওলালহি। সেই ভয়ঙ্কৰ শিঙাল ষাঁড়টো দেখি গৰখীয়াবৃন্দ ভয়ত বিহ্বল হৈ পৰিল। দেখি, আতঙ্কত আতুৰ হৈ সিহঁতৰ কোনোৱে বলৰামৰ পিঠিৰ পাচত আঁৰ লবলৈ ধৰিলে, আৰু বাকী-বিলাকে আতঙ্কত আৰ্ত্তৰাৱ কৰি উপবনত থলক লগাবলৈ ধৰিলে। পিচে, লগৰীয়া গৰখীয়াবৃন্দক সেইদৰে ভয়ত আতুৰ হোৱা দেখি, শ্ৰীকৃষ্ণই ততালিকে বুকুফিন্দাই আগ-বাঢ়ি গৈ সেই বৃষৰ শিঙত ধৰি জোকাৰি পেলালে গৈ। তাৰ পাচত, ভালেমান পৰলৈকে বৃষৰ লগত কৃষ্ণৰ যুঁজ চলিবলৈ ধৰিলে! একোবাৰ কৃষ্ণই বৃষৰ শিঙত ধৰি হেঁচুকি নি তাক থেকেচা খুৱাই বহুৱাই পেলায় ; একোবাৰ বৃষে উলটি ধৰি কৃষ্ণক শিঙৰ ওপৰত তুলি লৈ মতলীয়া দানৱৰ দৰে গৰিবৰ মুখে চাপলি ধৰে। একোবাৰ কৃষ্ণৰ কিলত মেচা হৈ বৃষ মাটিত পেপাকাৰি পৰে ; একোবাৰ সি হোঁকৰা বাঘৰদৰে হুঁকাৰি উঠি গৈ কৃষ্ণক খুন্দা মাৰি পেলাই লৈ শিঙিৰে খুচি পেটু-ভুঁৰু উলিয়াবলৈ বিচাৰে। শেহাশেহত, এপাকত কৌশলী কৃষ্ণই বৃষৰ ঠেঙত ধৰি তাক লুটিয়াই পেলাই তাৰ বুকুৰ ওপৰত বহিলৈ এহাতেৰে তাৰ উশাহগডত, ইহাতেৰে কাণসটাত ভুকুৱাবলৈ ধৰিলে। সেই কিলতে জিভা মেলি বৃষ তেতিয়াই মৰিল। গৰখীয়াবৃন্দে কিৰিলি মাৰি গৈ, কৃষ্ণৰ অদ্ভুত বল বখানিবলৈ ধৰিলে। এয়ে 'বৃষাসুৰ বধ'। ইয়াৰ দ্বাৰাই বৃন্দাবনৰ সেই উপবন নিৰাপদ কৰি, শ্ৰীকৃষ্ণই লগৰীয়া গৰখীয়াবৃন্দ আৰু ককায়েক বলৰামৰে সৈতে ৰং মনেৰে ঘৰলৈ উলটি আহিল।

* ব্ৰহ্মবৈবৰ্ত্তপুৰাণ, শ্ৰীকৃষ্ণৰ জন্ম খণ্ড, গোষ্ঠলীলা।

(১) শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, প্ৰথম আধ্যা, ২৭ শ্লোক।

ষষ্ঠ চ্ছেদ

প্ৰলম্ব বধ *

ইয়াৰ আগেয়েই উনুকিয়াই অহা হৈছে যে, আজন্ম ৰাজনীতিজ্ঞ অতি প্ৰতিভাশালী আদৰ্শ মানৱ শ্ৰীকৃষ্ণই- বৃন্দাবনত, গোপ-উপনিবেশ স্থাপিত হোৱাৰ লগে-লগেই, গোপ-গৰখীয়াবিলাকৰে সৈতে এটা সৈনিক দল বা 'গৰখীয়া ফৌজ' গঠন কৰিবলৈ এটি মহৎ অনুষ্ঠানত প্ৰবৃত্ত হৈছিল। সেই ব্ৰতৰ তেওঁ উত্তম ফল লাভ কৰিছিল, আৰু সি সেই দেশ কালৰ অতি উপযোগী হৈছিল। সুদূৰদৰ্শী ৰাজনীতিজ্ঞ পুৰুষৰ গজালি শ্ৰীকৃষ্ণই তাৰ দ্বাৰাই যাতে সুদূৰ ভবিষ্যততো উপকাৰ পাব পাৰে[১], সেই উদ্দেশ্যে তেওঁ গৰখীয়া সেনাদল টনকিয়াল কৰিবলৈ সঙ্কল্প ৰাখি, পাৰ্য্যমানে সেই গোপ-গৰখীয়াৰে সৈতে গঠিত সেনাদলত বা ফৌজত বৃন্দাবন-নিবাসী আন-আন ল'ৰা আৰু ডেকাকো ভুক্ত কৰি লবলৈ নিয়ম বান্ধিছিল।—সেই আপাহতে প্ৰলম্ব নামে এটা আদিম অধিবাসী বনমানুহো সেই গৰখীয়া-বাহিনীত সোমাল। প্ৰলম্বৰ অভিপ্ৰায় কিন্তু আন এটাহে ; সি কৃষ্ণৰ উপকাৰলৈ নহয়, তেওঁৰ অপকাৰলৈ হে তেওঁৰ 'গৰখীয়া ফৌজ'ত ভুক্ত হৈছিল হি। আৰু, সেই অৰ্থে নীচাশয় প্ৰলম্বই সততে ছেগ চাই ফুৰিছিল।

বৃন্দাবনৰ উপবনত এজোপা অতি প্ৰশস্ত আৰু প্ৰকাণ্ড আইত বগোৱা জৰী-গছ আছিল। গছজোপাই ছপুৰা মাটি জিনি আছিল[১]। ৰাম-কৃষ্ণই সততে সেই গছৰ তলত লগৰীয়া গৰখীয়াবৃন্দেৰে সৈতে বিবিধ ৰং-ধেমালি কৰি ওমলেগৈ। ছেগ বুজি, তাতে শ্ৰীকৃষ্ণই গৰখীয়া-বাহিনীক নিতে-ন-ন ৰণ-কৌশল শিকাইছিল। সেই সৈনিক শিক্ষাৰ উদ্দেশ্যেই সেই ছপুৰা মাটি জিনি ঢাকি ধৰা প্ৰকাণ্ড গছৰ ছাঁত শ্ৰীকৃষ্ণই নিতে-ন-নকৈ ৰচনা কৰা গৰখীয়া-গীত আৰু পেঁপা, বাঁহী, বেণু, মুৰুলী আদি বজাবলৈ শিকোৱাৰ উপৰি, সৈনিক ল'ৰাবিলাকৰ স্বাস্থ্য আৰু দৈহিক বল বঢ়াবৰ অৰ্থে, আৰু সেই ছেগতে যুঁজ-বাগৰ, ৰণ-বিগ্ৰহাদিৰ আভাস দিয়াৰ অভিপ্ৰায়ে সিবিলাকৰ মাজত অৰিয়া-অৰি লগাই দি লৰ্-ধৰা, জ'পিওৱা, বাগি-দিয়া, ৰছা-টনা-যুঁজ, চকুমুদা-লৰ্, এঠেঙ্গীয়া-লৰ্, যুটীয়া-লৰ্, মাল-যুঁজ, গছত উঠা, পানীত সাঁতোৰা, টাঙ্গোন ঘূৰুৱা, ধেনু-কাঁড় মৰা, তৰোৱাল (কাঠৰ) ঘূৰুৱা, ঢাল পতা (গছৰ ছালৰ) আদি ধেমালিত সেই বাহিনীভুক্ত সেনা দলক সততে লগাই ৰাখিছিল, আৰু ৰাম-কৃষ্ণ দুয়ো নিজেও নেতাৰূপে লাগি ফুৰিছিল[২]। পিচে, সেই প্ৰসঙ্গতে এদিন সেই বৰগছৰ তলত দুজন-দুজনকৈ ভৰি যুঁটি লৈ যুটীয়া-লৰ্-মৰা ধেমালি পতা হৈছিল। সিবিলাক নিয়ম-মতে যোৰা-যোৰা হৈ লৰিবলৈ সাজু হল।[৩] ৰামক প্ৰলম্বৰ লগত যোৰা লগাই দি, কৃষ্ণই নিজে সুদাম নামে এটা কোবাল গৰখীয়াৰে সৈতে যোৰা পাতি লৈ, গছৰ ছাঁৰ পৰিধিৰপৰা গছৰ গুৰি কেন্দ্ৰলৈ একে চিপতে আটাই-বিলাকে লৰিবলৈ ধৰিলে। কৃষ্ণৰ যোৰা আটাইতকৈ আগ হৈ কেন্দ্ৰত চাপিলগৈ। প্ৰলম্বৰ দোষত ৰামৰ যোৰা আটাইতকৈ পিচ পৰিল। গতিকে, সেই ধেমালিৰ বন্ধা নিয়ম অনুসৰি, প্ৰলম্বই ৰামক কানত তুলি লৈ লৰি গছৰ ওচৰ পোৱাবগৈ লগা হল। সেই নিয়ম পালিবলৈ প্ৰলম্বৰে সৈতে ৰাম উলটি গৈ আকৌ লৰ আৰম্ভণৰ সীমনাত উপস্থিত হলগৈ , ইফালে কৃষ্ণৰে সৈতে আন আটাইবিলাক লগৰীয়া ল'ৰা আগবাঢ়ি আহি গছৰ ওচৰ চাপিলেহি। সিফালে প্ৰলম্বই ৰামক কানত তুলি লৈ গছৰ গালৈ লৰি অহাৰ ছলতে নিজানে নিজানে ছঁয়াকাটি হাবিৰ ফালেহে

---

* (ক) ব্ৰহ্মবৈবৰ্ত্তপুৰাণে প্ৰলম্বকে ধেনুকাসুৰ বুলিছে , একৰ বধতে দুইকো বধি থৈছে।

(খ) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৬৯ আধ্যা।

(গ) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ১৮শ আধ্যা, ১১—২০ শ্লোক।

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ১৮শ আধ্যা, ১২—১৩ শ্লোক।

(২) কুৰুক্ষেত্ৰ মহাৰণত শ্ৰীকৃষ্ণৰ যি 'সংসপ্তক সেনা' নিয়োজিত হৈছিল, তাৰ আঁতি-গুৰি এয়ে। এই সেনাদলৰ ৰণকুশলতাৰ বিষয়ে পাচত যথাঠাইত কোৱা হৈছে।—মহাভাৰত, উদ্যোগ পৰ্ব্ব, ৭ম আধ্যা।

(৩) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৭০ আধ্যা।

লৰিবলৈ ধৰিলে। গতিক বিষম দেখি, ৰামে আতুৰভাৱে 'কৃষ্ণ কৃষ্ণ' বুলি বিড়িয়াবলৈ ধৰিলে। ৰামৰ বিড়ি শুনা মাত্ৰে কৃষ্ণই বায়ুবেগে লৰি গৈ প্ৰলম্বক আগচি ধৰিলেগৈ। কৃষ্ণক আগভেটা পাই প্ৰলম্বৰ গতি ৰোধ হল। তাৰ পাচত, কৃষ্ণই ৰামক নিজ শক্তিলৈ মনত পেলাই দি এই বুলি সঙ্কেত দিলে, "ককাইদেও! কি চাই আছা, আঁঠু-চেপা দি ধৰি হাতেৰে ভুকুৱাই পাষণ্ডৰ মূৰৰ খোলা ভাঙ্গি নেপেলোৱা কিয়?" কৃষ্ণৰ উদ্গনি পাই ৰামৰ চেতনা উপজিল; তেওঁ অনুজ কৃষ্ণৰ সঙ্কেত অনুসৰি সেই শত্ৰুৰ মূৰৰ খোলা ভুকুৱাই ভাঙ্গি পেলালে; প্ৰলম্ব জিভা মেলি মাটিত দীঘল দি পৰিল, আৰু সেই অৱস্থাতে তাৰ মৃত্যু হল[১]। প্ৰলম্বৰ লগতে বৃন্দাবনত ৰাম-কৃষ্ণৰ নৰ-শত্ৰু সমূলঞ্চে নাশ হল। যি থাকিল, সি হিংস্ৰক জন্তুৰ মাজত হে ৰল। সেইবোৰকো এটা-এটাকৈ নিপাত কৰি বৃন্দাবন নিৰাপদ কৰিবলৈ কৃষ্ণৰ সঙ্কল্প থাকিল। মহাবলী প্ৰলম্বক বধ কৰাৰ বাবেও সেইদিন ধৰি কৃষ্ণাগ্ৰজ ৰামৰ আন এটা নাম 'বলৰাম' হয়[২]।

সপ্তম ছেদ

বস্ত্ৰহৰণ লীলা

শৰত কালত ফট্‌ফটীয়া পানীৰ তলে-ওপৰে প্ৰফুল্ল পদুম ফুলৰ জকমকীয়া শোভা আৰু সেই প্ৰফুল্ল ফুলৰ সুমধুৰ সুগন্ধত আমোল মোল বৃন্দাবনৰ বিমোহন ৰূপ গোন্ধত উলাহিত হৈ, শ্ৰীকৃষ্ণই যেতিয়া অগ্ৰজ বলৰাম প্ৰমুখ্যে সমনীয়া গৰখীয়া গোপ-ল'ৰাবিলাকৰে সৈতে কালিন্দীৰ তীৰে তীৰে গৰু চৰাই ফুৰোঁতে তেওঁৰ মোহন বাঁহীৰ সুৰেৰে জগতৰ প্ৰাণ কাঢ়ি লৈছিল, তেতিয়া ব্ৰজগোপিনী-বৰ্গ অনুৰাগত উন্মাদিতা হৈ পৰস্পৰে এইভাৱে চিন্তা-আলোচনা কৰিবলৈ ধৰিলে যে, কি উপায়েৰে নো সিবিলাকে সেই জগন্মোহন ভগবান শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ সঙ্গ লাভ কৰি চৰিতাৰ্থ হব পাৰিব। শেহান্তৰত, সেই চিন্তা-লোচনাৰ ফলস্বৰূপ গোপিনীবৰ্গ এই সিদ্ধান্তত উপস্থিত হলগৈ যে, সেই উদ্দেশ্যে সিবিলাকে 'কাত্যায়নী ব্ৰত' ধাৰণ কৰিব।

কাত্যায়নী ব্ৰত একেৰাহে এমাহ পালন কৰাৰ ৰীতি। সেই অনুসাৰে ব্ৰজৰ গোপিনীবৰ্গে হবিষ্যাশী হৈ হেমন্ত কালৰ আঘোণ মাহৰ আৰম্ভণতে জুমবান্ধি গৈ উষা-পুৱাতে কালিন্দীত বুৰ দি স্নান কৰি উঠি, পাৰত বালিৰ গোসানী সাজি লৈ সেই অভীষ্ট সিদ্ধিৰ কামনা কৰিবলৈ ধৰিলে[৩]।

তথ্যগ্ৰাহী শ্ৰীকৃষ্ণই ইফালে তাৰ তত্ত্ব লৈ আছিল। পিচে, গোপিনীবৰ্গৰ ব্ৰতৰ শেহদিনা সিবিলাকে পাৰত গাৰ বস্ত্ৰাদি থৈ কালিন্দীত এডিঙ্গি-পানীত নামি বুৰ দি স্নান কৰিছে, এনেতে সমনীয়া গৰখীয়া বৃন্দৰে সৈতে লগলাগি গৰু চৰাবলৈ গৈ শ্ৰীকৃষ্ণ সেই পাৰত উপস্থিত হলগৈ[৪]। তাৰ পাচত, শ্ৰীকৃষ্ণই লগৰীয়া ল'ৰাবিলাকেৰে সৈতে লগলাগি ৰংকৰি গোপিনীবৰ্গৰ সেই বস্ত্ৰাদি হৰণ কৰি লৈ কদমৰ ডালত উঠিলে গৈ, আৰু তাৰপৰা হাঁহি হাঁহি এই বুলি উপহাস কৰিবলৈ ধৰিলে, "গোপিনীসকল, তোমা-লোকক বৰতীয়া গাৰে স্নানাদি কৰি সৰহপৰ সেই অৱস্থাত দুখ ভুগিবলৈ দিয়াটো যুগুত নহয়, এতেকে, তোমালোকে এই কদমৰ তললৈ উঠি আহি নিজ নিজ বস্ত্ৰ চিন্ ধৰি লোৱাঁহি হঁক[৫]। কিন্তু, গোপিনীগণে স্নানৰ পাচত পুনঃ বস্ত্ৰ পৰিধান নকৰাকৈ কিমতে কদমৰ কাষ চাপেগৈ এতিয়া!

(১) (ক) বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, ৯ম পৰিচ্ছেদ।
(খ) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ১৮শ আধ্যা, ১৫—১৮ শ্লোক।

(২) 'হৰিবংশ', বিষ্ণুপৰ্ব্ব, ৭০ আধ্যা। কিন্তু ইতি-পূৰ্ব্বতে 'নামকৰণ' আধ্যাত গৰ্গ মুনিয়ে কৃষ্ণাগ্ৰজ ৰামৰ আন এটা নাম 'বল' নিৰ্দ্দেশ কৰাৰ বিষয়ে উল্লেখ কৰিয়াই অহা হৈছে। সেই 'বল'+'ৰাম'='বলৰাম' নাম এই ছেগতে ঘোষণা কৰা হৈছে মাথোন।

(৩) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২২শ আধ্যা, ১ম শ্লোক।

(৪) শ্ৰীমদ্ভাগৱত দশম স্কন্ধ, ২২ আধ্যা, ৫ম শ্লোক।

(৫) তাসাং বাসাংস্যুপাদায় নীপমাৰুহ্য সত্বৰঃ।
হসদ্ভিঃ প্ৰহসন্ বালৈঃ পৰিহাসমুবাচহ

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২২শ আধ্যা ৬ষ্ঠ শ্লোক।

সিবিলাকে নিজৰ কামনাৰ ফল, সাক্ষাৎ শ্ৰীকৃষ্ণৰ শ্ৰীমুখৰপৰা সেই উপহাস বাণী শুনি, লাজ আৰু আনন্দত আপোনপাহৰা হৈ, জাৰত কঁপি কঁপি এডিঙীয়া পানীৰপৰাই তুতি-মিনতি কৰি শ্ৰীকৃষ্ণতে পুনঃ পুনঃ বস্ত্ৰ ভিক্ষা কৰিবলৈ ধৰিলে।

এই ভাৱে বিস্তৰ তুতি-মিনতি কৰাতো, কদমৰ তললৈ চাপি নাযায়মানে, ব্ৰজগোপিনীবৰ্গক বস্ত্ৰ ঘূৰাই দিবলৈ কৃষ্ণ মান্তি নোহোৱা দেখি, সিবিলাকে পুনৰপি কাকুতি কৰি এই বুলি নিবেদিলে যে, স্নানান্তত শুকান বস্ত্ৰ পৰিধান নকৰাকৈ তিতা-তিয়নীৰে সৈতে সিবিলাকে কোনটো লাজেৰে কদমৰ কাষ চাপিবগৈ! এতেকে, কৃষ্ণ প্ৰভুৱে কৃপা কৰি গছৰ ডালৰপৰা বস্ত্ৰবোৰ সৰি পৰিবলৈ দিয়ে যেন, এই প্ৰাৰ্থনা। 'ৰসিক নাগৰ' নন্দনন্দনে কিন্তু তাতো মান্তি নহৈ এইদৰে হে সমিধান দিলে যে, নাৰীসকলৰ শিৰোভাগেই উত্তমাঙ্গ; যিস্থলত সেই উত্তমাঙ্গ উদঙাই সিবিলাকে বস্ত্ৰ ভিক্ষা কৰিব পাৰিছে, সেইস্থলত মধ্যমাঙ্গ গোপন ৰখাৰ কোনো অৰ্থ নাই[১]। ইত্যাদি কূট্-তৰ্কেৰে কৃষ্ণদেৱে হৰণ কৰা বস্ত্ৰ ঘূৰাই দিবলৈ অমান্তি হোৱা দেখি, গোপিনীবৰ্গে কৃত্ৰিম ক্ৰোধ দেখুৱাই এইবাৰ এই বুলি কলে যে, যশোদাতনয়ে অন্যায় কৰি গোপিনীৰ বস্ত্ৰ হৰণ কৰা বাবে সিবিলাকে ৰজাৰ[২] আগত গোচৰ দিবগৈ। এই ভাবুকিয়ে ভাবুক গোপালক আনন্দত উৎফুল্লীকৃত হে কৰিলে, তেওঁ আৰু এদোপ্ উলাহিত হৈ, পুনৰপি এই বুলি উত্তৰ কাটিলে, "তোমালোকৰ বস্ত্ৰ তোমালোকে নিজে নিজে চিন্ ধৰি লৈ যোৱাঁহিঁক বুলি বাৰম্বাৰ কোৱা হৈছে; কিন্তু তোমালোকে তালৈ আওকাণ কৰি গৈ ৰজাত গোচৰ দিয়া যদি দিয়াঁগৈ, ৰজাই মোক সেই বাবে কি কৰিব?"[৩]

শেহান্তৰত, শ্ৰীকৃষ্ণক কোনোমতেই ৰবাব নোৱাৰি গোপিনীবৰ্গে আলোচনা কৰি এই স্থিৰ কৰিলে যে, যাৰ শ্ৰীচৰণ লাভৰ উদ্দেশ্যেই সিবিলাকৰ ব্ৰত, সেই স্বয়ং ভগবান শ্ৰীকৃষ্ণই অযাচিতে সেই চৰণ দান দিছেহি, সিবিলাকে বুজা হে নাই; এতেকে সিবিলাকে কৃষ্ণোক্তিত দ্বিৰুক্তি নকৰি তেওঁত শৰণাগত হোৱাটোহে উচিত। এই ভাৱে মনস্থিৰ কৰি গোপিনীবৰ্গে অগত্যা তিতা-তিয়নীৰেই পাৰলৈ উঠি আহি, কদমৰ গাত আঁৰ লৈ, ব্ৰতাৰাধ্য সৰ্ব্বফলস্বৰূপ শ্ৰীকৃষ্ণচৰণত সিবিলাকৰ মনোভাব সমুদায় মুকলিকৈ নিবেদন কৰিলেগৈ। গোপিনীবৰ্গে তেওঁক সাক্ষাৎ ঈশ্বৰ-ৰূপে আৰাধনা কৰা দেখি অলপ অপ্ৰস্তুত হৈ, শ্ৰীকৃষ্ণই এটি মনমোহা হাঁহি মাৰি এই বুলি সমিধান দিলে, "বাৰু, মই তথাস্তু বুলিছোঁ। ইয়াৰ পাচত, জোনাক ৰাতি[৪] তোমালোকৰ কামনা পূৰণ কৰিবলৈ যথাবিহিত কৰা যাব[৫]।" এই বুলি, লগৰীয়া গৰখীয়াবৰ্গৰে সৈতে, কালিন্দীৰ তীৰৰপৰা গৰু-গাই আনঠাইত চৰাবলৈ আঁতৰাই নি, শ্ৰীকৃষ্ণ ততাতৈয়াকৈ তাৰপৰা আঁতৰ হল।[৬]

অষ্টম ছেদ

বিপ্ৰপত্নীসকলৰ কৃষ্ণানুৰাগ

শ্ৰীকৃষ্ণৰ প্ৰতি পুৰুষতকৈও যে প্ৰকৃতিৰ আসক্তি প্ৰবল, তাৰ বিশিষ্ট প্ৰমাণ বিস্তৰ পোৱা যায়। তাৰ গোটাচেৰেক মথোন পুথিত সন্নিবিষ্ট হৈছে। ওপজাৰেপৰা চেমনীয়াটি-লৈকে কৃষ্ণ গোপিনীৰ বুকুত, গোপিনীৰ কোঁচত, গোপিনীৰ কোলাত আৰু গোপিনীৰ মাজত ডাঙৰ হোৱা ল'ৰা। সেই কাৰণেই তেওঁৰ প্ৰতি গোপিনীৰ অত্যধিক অনুৰাগ;

(১) শ্ৰীধৰ স্বামীকৃত ভাবাৰ্থ দীপিকা।
(২) গোপৰাজ নন্দ!
(৩) নোচেন্নাহং প্ৰদাস্যে কিং ক্ৰুদ্ধো ৰাজা কৰিষ্যতি॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২২ আধ্যা, ১১ শ্লোক।
(৪) ৰাসলীলাৰ জোনাক ৰাতিক লক্ষ্য কৰা হৈছে।
(৫) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২২ আধ্যা, ১৯—২১ শ্লোক।
(৬) 'বস্ত্ৰহৰণ লীলা'ৰ বিষয়ে মহাভাৰত, বিষ্ণুপুৰাণ আৰু হৰিবংশত কোনো কথাৰ উল্লেখ নাই; সম্ভৱতঃ সেই গ্ৰন্থকাৰসকলে ইয়াক সামান্য বা অমাৰ্জ্জিত ৰুচিৰ ঘটনা ভাবি বাদ দি গল। শ্ৰীমদ্ভাগৱতৰ এই আখ্যানৰ অভ্যন্তৰত কিন্তু অতি পবিত্ৰ ভক্তিতত্ত্ব নিহিত আছে। সেই সময়ত শ্ৰীকৃষ্ণ মুঠেই ১১ বছৰীয়া নাবালক। তেনে বয়সত 'বস্ত্ৰহৰণ লীলা' নিচেই স্বাভাবিক। ভাগৱতৰ আধুনিক ব্যাখ্যাত এই বিষয় অতিৰঞ্জিত হৈছে মথোন।

আৰু সময়ৰ লগে লগে সেই অনুৰাগ-আসক্তি ক্ৰমাৎ চৰি আহিবলৈ ধৰিলে। সেই একে কাৰণতে কৃষ্ণৰো প্ৰকৃতিৰ প্ৰতি অনুৰাগ বৰ প্ৰবল। গোপিনীবৰ্গলৈ তেওঁৰ প্ৰবল ধাউতি।

অকল ব্ৰজৰ গোপিনীসকলৰেই অত্যধিক কৃষ্ণাসক্তি এনে নহয়; ব্ৰজ বৃন্দাবনত সামান্য গোপগৃহিণী আৰু গোপকন্যাসকলত বাজেও, বিপ্ৰপত্নীসকলৰো কৃষ্ণানুৰাগ বৰ প্ৰবল আছিল। তাৰো সেই একেটা কাৰণেই। কৃষ্ণৰ বেথা-লগা কৰুণ স্বভাৱ আৰু মনোহৰ ৰূপে নাৰী-প্ৰাণ সহজে আকৰ্ষণ কৰে। তাৰ উপৰিও, কৃষ্ণজীৱনীত সংলগ্ন অদ্ভুত ঘটনাৱলীয়ে তেওঁৰ প্ৰতি নৰ-নাৰী সকলোৰে, বিশেষকৈ নাৰীজাতিৰ প্ৰেম-ভক্তি স্বভাৱতে টানি আনে। সেই বুলি কিন্তু, শ্ৰীকৃষ্ণ নাৰীগণৰ প্ৰেমত বশ নহৈছিল, সবাৱৰে লগত তেওঁ কণ্টেকীয়া সংপ্ৰীতি মাথোন ৰাখিছিল।[১]

সেই দিনা বস্ত্ৰহৰণ-লীলাৰ পাচত, বহু দূৰৈৰ চাপৰিত গৈ গৰু চৰাই থাকোঁতে লগৰ গৰখীয়াবৃন্দে ভোক-পিয়াহত কাতৰ হৈ ৰাম-কৃষ্ণক আতুৰভাৱে জনালে যে, অলপ আহাৰ নাপালে সিমান দূৰৈৰপৰা উলটি গৈ ঘৰ পাবলৈকে সিবিলাকৰ পক্ষে টান হৈছে; এতেকে তাৰ এটা উপায় কৰিব লাগে।[২] পিচে, অলপ আঁতৰত আঙ্গিৰস যজ্ঞৰ অনুষ্ঠান কৰি থকা বামুণ-পণ্ডিতসকললৈ আঙুলিয়াই কৃষ্ণই এই বুলি উপদেশ দিলে, "যোৱাঁ, আমাৰ নাম লৈ, সৌ ব্ৰহ্মণ মণ্ডলীক অন্ন-জলপান ভিক্ষা কৰি খোৱাঁগৈইক।" গৰখীয়াবৃন্দে সেই মতেই কাৰ্য্য কৰিলে; ব্ৰাহ্মণসকলে গৰখীয়াবৃন্দৰ যাচ্ঞালৈ আওকাণ কৰাত সিবিলাক হতাশ হৈ উলটি আহি সেই কথা সিবিলাকে ৰাম-কৃষ্ণত জ্ঞাপন কৰিলেহি। পিচে, কৃষ্ণই আকৌ এই বুলি অনুজ্ঞা কৰিলে, "যোৱাইক, এইবাৰ সেই বিপ্ৰমণ্ডলীৰ পত্নীসকলত মোৰ কথা কৈ অন্নজল মাগি খোৱাঁগৈ।"[৩] গৰখীয়াবৃন্দৰ এইবাৰ মনোৰথ পূৰ্ণ হল; গৈ কৃষ্ণ-নাম লোৱা মাত্ৰে বিপ্ৰপত্নীসকলে যথেষ্ট অন্ন-জলপান সিবিলাকক দান কৰি, ৰাম-কৃষ্ণলৈকো চৰ্ব্য, চোষ্য, লেহ্য, পেয় চাৰিবিধ মনোহৰ আৰু সুমিষ্ট আহাৰ লৈ, কৃষ্ণ-দৰশনৰ অৰ্থে সাগৰমুৱা নদীৰ দৰে উত্ৰাৱল চিতেৰে ধাবিত হৈ গৰখীয়াশালি পালেগৈ[৪]; স্বামীসকলৰ হাক-বচনে সিবিলাকক ৰখাব নোৱাৰিলে। কৃষ্ণৰ মোহত বিপ্ৰপত্নীসকল স্বামীৰ অবাধ্য হবলৈকো বাধ্য হৈছিল।

ৰাম-কৃষ্ণ আৰু গৰখীয়াবৃন্দে সেই অন্ন-জলপান ভোজন কৰি পৰম তৃপ্তি লাভ কৰিলে। তাৰ পাচত, শ্ৰীকৃষ্ণই গোটাদিয়েক সাৰগৰ্ভ উপদেশ প্ৰতিদানেৰে কৃতজ্ঞতা জ্ঞাপন কৰি বিপ্ৰপত্নীসকলক বিদায় দিলে।[৫]

---

(১) ইমং লোকমমুষ্কেব ৰময়ন্ সুতৰাং যদূন্।
ৰেমে ক্ষণদয়া দত্তক্ষণস্ত্ৰীক্ষণ সৌহৃদয়ঃ॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, প্ৰথম আধ্যা,
২১ শ্লোক।

(২) ৰাম ৰাম মহাবাহো কৃষ্ণ দুষ্টনিবৰ্হন।
এষা বৈ বাধতে ক্ষুণ্ন স্তচ্ছাস্তিং কৰ্ত্তু মৰ্হপঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৩শ আধ্যা,
১ম শ্লোক।

(৩) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৩শ আধ্যা,
২-১২ শ্লোক।

(৪) চতুৰ্বিধং বহুগুণমন্নমাদায় ভাজনৈঃ।
অভিসস্ৰুঃ প্ৰিয়ং সৰ্ব্বাঃ সমুদ্ৰমিব নিম্নগাঃ॥
নিষিধ্যমানাঃ পতিভিং পিতৃভিৰ্ভ্ৰাতৃবন্ধুভিঃ।
ভগৱত্যুত্তম শ্লোকে দীৰ্ঘশ্ৰুতধৃতাশয়াঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৩শ আধ্যা,
১৪ শ্লোক।

(৫) সেই আপাহতে কোনো-কোনো বিপ্ৰমণ্ডলীয়ে এই বিষয়ক বৰ্ণনাৰ বিৰুদ্ধে কষ্ট দৃষ্টিৰে চাই ইয়াক প্ৰক্ষীপ্তৰ পাটীত থবলৈ কুকুংকাৰাং কৰা দেখা যায়। সিবিলাকৰ ভয় এই যে, জানোৱা গোপগৃহিণীৰ ওপৰত পৰা কৃষ্ণাসক্তিৰ কল্পনাৰ ছাটো বিপ্ৰপত্নীৰ ওপৰতো পৰে। কিন্তু, পৰিলেই বা, তাত নো হানি কি? ১১ এবাৰ বছৰীয়া আদৰ্শ মনুষ্যৰ প্ৰতি অমায়িক আসক্তিত কি কলঙ্ক হব পাৰে? বৰঞ্চ, সেই আসক্তিৰ অভাৱ হোৱা হলেহে বিপ্ৰপত্নীৰ স্বোপাৰ্জ্জিত গৌৰৱ ক্ষয় হলহেঁতেন।

নৱম ছেদ

বকাসুৰ বধ

শ্ৰীকৃষ্ণ সততে উদ্দেশ্যশীল। উদ্দেশ্যবিহীন হৈ তেওঁ কেতিয়াও কলৈকো নোলায়। নিতৌ তেওঁ গৰু চৰাবলৈ যায়, নিতে তেওঁ একোটা উদ্দেশ্য সাধন কৰে। তাৰে লাগতিয়াল গোটাদিয়েকৰ কথা আগেয়ে কৈ অহা হৈছে, আৰু গোটাচেৰেকৰ বিষয়ে কবলৈ ধৰা গৈছে।

আগৰ দৰেই এদিন লগৰীয়া গৰখীয়াবৃন্দৰে সৈতে ৰাম-কৃষ্ণ গৰু চৰাবলৈ গল। সেই দিনা কিন্তু, কৃষ্ণৰ লক্ষ্য দূৰৈত ৰৈছিল। আন দিনাৰ দৰে সেই দিনাও শ্ৰীকৃষ্ণই অগ্ৰজ বলৰাম আৰু আনবিলাক গৰখীয়াৰে সৈতে লগলাগি নানা তৰহৰ ৰং-ধেমালি কৰি গৰু চৰাই যাবলৈ ধৰিলে; সেই দিনা কিন্তু একে ঠাইতে নহয়, গৰুজাক ক্ৰমাৎ আগুৱাই লৈ যোৱা হৈছিল। যাওঁতে যাওঁতে, সেই দিনা কৃষ্ণই গৰখীয়াক এৰি গৰুৰ লগত হৈ ওমলা হল। কেতিয়াবা তেওঁ দুহাতে দুই-এটা পোৱালি ধৰি উৰুৱাই নিয়াদি নি আগুৱাই নিয়ে, পিচে পিচে গাইবোৰে হেম্বে-লিয়াই ঢপলিয়াই খেদি যায়, ওচৰ চাপিলে কৃষ্ণই নিজে পোৱালি হৈ উলটি সেই গাইক পিবলৈ ধৰে; কেতিয়াবা জনীদিয়েক গাই ছঁয়াকটাই লৰুৱাই নি এৰি দিয়েগৈ, ইফালে উলটি আহি কৃষ্ণই পোৱালিৰ দৰে হেম্বেলিয়াবলৈ ধৰে, আৰু গাইবোৰে ঢপলিয়াই আহোঁতে আদ্‌বাটতে ধৰি কচুপাতৰ থোলাত গাখীৰ খিৰাই লৈ নিজেও খায়, লগৰীয়াকো খুৱায়। যাওঁতে যাওঁতে, য'ত দুবৰি বনে চামনি মাৰি ধৰা নিমজ থল পায়, তাত লগৰীয়াৰ ডিঙিত ধৰি মাটিত পৰি শ্ৰীকৃষ্ণই বাগৰিবলৈ ধৰে, গহীন বলৰামে মিচিকি মিচিকি হৰিষৰ হাঁহি মাৰি চাই থাকে। এইভাৱে গৈ গৈ সিবিলাক মধুবনত ওলালগৈ। এই মধুবনেই যে মথুৰাৰ মাক[১] সেইকথা গুৰিতে উমুকিয়াই অহা হৈছে।

মধুবনত এটা দৈত্যাকাৰ বৰবগ আছিল। তাৰ আগত মানুহ-গৰুহে নালাগে, ম'হ-মেঠোন আদি বনৰ বনৰীয়া জন্তুৰো ৰক্ষা নাই। সি যাকে পায়, তাৰেই পোনেই চকু দুটা ঠোঁটেৰে কুকি উলিয়াই খায়। সি বৰ ওখ-ডাঙৰ পখী আছিল, ভিঙি নেমেলাকৈয়ে মানুহৰ সমান ওখ। তাৰ ঠোঁট্ দুচটা বৰকৈ মেলি ধৰিলে সি একোটা মানুহ বা গৰু গোটে গোটে গিলি পেলাব পাৰে। সেইদৰেই সি গিলিছিলও, দমৰা-দামুৰি পোৱালি গিলাৰ তো কথাই নাই। আৰু, সেয়ে তাৰ জীৱিকা হৈছিল।

মধুবনৰ সেই অসুৰ যেন বৰবগটোৰ কথা শ্ৰীকৃষ্ণই কেতিয়াবাৰে পৰা শুনি আহিছিল। সেই দিনা তেওঁ তাক লক্ষ্য কৰিয়েই সিমান দূৰলৈ গৰু চৰাবলৈ লৈ গৈছিল। পিচে, যথাসময়ত গৰু-গাইৰে সৈতে ৰাম-কৃষ্ণ আৰু লগৰীয়া গৰখীয়াবিলাক গৈ সেই ঠাই পোৱা মাত্ৰকে সেই বগটোৱে খেদি আহিলে। পোনেই সি গাই এজনীৰ চকু কাটি খাই তাইৰ সৰু পোৱালিটো গিলিবলৈ ধৰিছিল, এনেতে গৰখীয়া ল'ৰা এটাই একুৰাবলৈ যাওঁতে পোৱালি এৰি তাকো গিলিবলৈ ধৰিলে। বগে খেদি অহা দেখি গোটেই গৰখীয়াদল ভয়ত জিকাৰি উঠিল; আৰু আটাইটিয়ে 'কৃষ্ণ' 'কৃষ্ণ' বুলি চিয়ঁৰিবলৈ ধৰিলে। কৃষ্ণই "কি হল" বুলি সুধি আগবাঢ়ি গৈ দেখে যে, লগৰ গৰখীয়া এটি বগে গিলি পেলাইছে। তাকে দেখি, মহাবাহু শ্ৰীকৃষ্ণই বেগাই আগবাঢ়ি গৈ যেতিয়া বগৰ গা পালেগৈ, তেতিয়া সি তেওঁক গিলিবলৈ ঠোঁট মেলি আহিল, আৰু সেই অৱস্থাত গৰখীয়াবিলাকে চিয়ঁৰত খলক্ লগাবলৈ ধৰিলে, জানোবা এতিয়া সি কৃষ্ণকো গিলি থয়! এনে কি, স্বয়ং বলৰামো অস্থিৰ হৈ পৰিল। এনেতে, মহা বলৱন্ত শ্ৰীকৃষ্ণই তাৰ ওপৰৰ চটা ঠোঁটত দুহাতে খামচি ধৰি, তলৰ চটা ভৰিৰে গচকা মাৰি লৈ বগটো বাঁহ-ফলাদি দুচিটাকৈ ফালি পেলালে; গৰখীয়া ল'ৰাটি জীয়াই-জীয়াই তাৰ পেটৰপৰা ওলাই আহিল। এয়ে পুৰাণাদিত বৰ্ণিত 'বকাসুৰ বধ' কাহিনী।

---

(১) মধুবন যমুনাৰ দুয়ো পাৰে বিস্তৃত আছিল। ব্ৰজ-গোকুল-বৃন্দাবন যমুনাৰ পছিমপাৰে আৰু মথুৰা যমুনাৰ পূব পাৰে অৱস্থিত। ইপাৰৰ ভাগ মথুৰানগৰৰ নামানুসাৰে মথুৰা হল, আৰু সিপাৰৰ ভাগ আগৰ ভাগেই মধুবন হৈয়ে ৰল, গতিকে, মথুৰাৰ মাক মধুবনৰ আঁতিগুৰি বৃন্দাবনৰ বুকুত হৈ থাকিল।

সেই দিনাৰপৰা বৃন্দাবনৰ জীৱ-জন্তুৱে চকু-কটা বগ-ৰূপী দানৱৰ অত্যাচাৰৰপৰা পৰিত্ৰাণ পালে। সেইবাবে শ্ৰীকৃষ্ণৰ অদ্ভুত ক্ষমতা আৰু মাহাত্ম্যৰ যশস্যা চৌপাশে বিয়পি পৰিল।

দশম ছেদ

অঘাসুৰ বধ

প্ৰকৃতিৰ শোভাদৰ্শন আৰু প্ৰাকৃতিক লীলা-খেলা শ্ৰীকৃষ্ণৰ অতি প্ৰিয়কাৰ্য্য। গৰখীয়া জীৱনে তেওঁক সেই কাৰ্য্যত অযাচিতে সুবিধা দিছিল। প্ৰকৃতিনন্দন গোপ-গৰখীয়াৰ সঙ্গত ৰোহিণীকুমাৰ অগ্ৰজ বলৰামৰে সৈতে নন্দনন্দন শ্ৰীকৃষ্ণ নিতৌ ধেনু চৰাবলৈ যায়, নিতে ন-ন উপবনত প্ৰকৃতি গোষ্ঠ বিহাৰ কৰি ন-ন প্ৰাকৃতিক শোভা দৰ্শন কৰি আৰু প্ৰকৃতি-জীয়াৰী বৃন্দাবনৰ বুকুত ন-ন লীলা-খেলা খেলি তেওঁ নিজেও মোহিত হয় আৰু আন সকলকো মুগ্ধ কৰে।

ওপৰত এবাৰ উনুকিয়া গৈছে যে, শ্ৰীকৃষ্ণৰ গোষ্ঠবিহাৰ কাৰ্য্য কাচিতো উদ্দেশ্যবিহীন নহয়; নতুন উপবনলৈ যাওঁতে তেওঁ সততে নতুন উদ্দেশ্য লৈ যায়। সেইবোৰ উদ্দেশ্যৰ ভিতৰত বৃন্দাবনৰ শত্ৰুবিনাশন সবাতকৈ আগ। শ্ৰীকৃষ্ণই যেতিয়াই যি নতুন উপবনত গৰু চৰাবলৈ যায়, তেতিয়াই সেই বিধৰ কোনো নে কোনো এটা উদ্দেশ্য সাধন নকৰাকৈ নেৰে। আটাইবোৰ টুকিবলৈ গলে পুথিৰ কলেৱৰ অতি-পাতকৈ বঢ়াৰ আশঙ্কাত সেই বিষয়ক শ্ৰীকৃষ্ণৰ কাৰ্য্যাৱলীৰ সৰু-সুৰাবোৰ বাদ দিয়া গৈছে।

যমুনাৰ সুঁতি কালিন্দীৰ পছিম পাৰে এখন দিব্য উপবন আছিল। তাত অঘ নামে অসুৰ যেন এটা অজগৰে গোটে গোটে জীয়াই জীয়াই মানুহ-গৰু গিলে কাৰণে, তালৈ লোক-জনে সততে যোৱা-অহা নকৰে। তাৰ সম্ভেদ্ পাই, শ্ৰীকৃষ্ণ তালৈ যাবলৈ লালায়িত হল। সেই উদ্দেশে এদিন সোনকালে গৰখীয়া লগৰীয়াবৃন্দৰে সৈতে গৰু চৰাবলৈ বুলি ৰাম-কৃষ্ণ সেই উপবনলৈ ওলাল। গৈ গৈ, দুপৰৰ আগতে সিবিলাক সেইখিনি পালেগৈ। পায়েই, মুকলি ঘাঁহনি-চাপৰিত গৰু-গাই চৰিবলৈ মেলি দি গোটেই গৰখীয়াদল ক্ষন্তেকমান জিৰাবলৈ বহিল। ক্ষন্তেকৰ নিমিত্তে সেই উপবনৰ হৃদয়গ্ৰাহী শোভাদৰ্শন কৰি সকলোটি তবধ লাগিল। তাৰ পাচত, তৰলমতি গৰখীয়াবৃন্দে নানা তৰহৰ মনোমত ৰং-ধেমালি কৰিবলৈ ধৰিলে। কোনোৱে বা উপবনৰ ধুনীয়া লতা-বনৰে সৈতে মুকুট সাজি মূৰত পিন্ধি ৰজাৰ আয়মেৰে বহিলে; কোনোৱে বা নানাবিধৰ বনফুল তুলি আনি মালা গাঁথিবলৈ বহিলে; এটিয়ে হয়তো ঠাপ্ মাৰি তাৰে এধাৰ মালা লৈ পিন্ধি নাচোন ধৰিলে; আনটিয়ে হয়তো ভীম-কচুৰ পাত এটা ছিঙ্গি আনি সিটিৰ মূৰৰ ওপৰত ছত্ৰকে ধৰিলে; কোনোৱে বা গছৰপৰা পকা ফল পাৰি আনি খাবলৈ বহিলে; কোনোৱে বা তাৰে এটা থপিয়াই লৈ লৰেই মাৰিলে, কোনোৱে বা হয়তো আন এটিৰ হাতত চাপৰি মাৰি "মোক কোনে চুব পাৰে" বুলি লৰেই মাৰিলে, আনটিয়ে হয়তো পিচে পিচে খেদি নি ক'ৰবাত উলিয়াইছেগৈ, কোনোটিয়ে তমালৰ ডালত বহি "ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ, কৃষ্ণ কৃষ্ণ হৰে হৰে" বুলিৰে বাঁহীকে বজালে; কোনোটিয়ে হয়তো তাৰ চেৱে-চেৱে উধাও হৈ নাচোনকে ধৰিলে; কোনো ল'ৰাই গৰু-পোৱালি হৈ আঁঠু-হাত পাতি গৰু-পহুৰ দৰে জঁপিয়াই ফুৰে, আন ল'ৰাই হয়তো গৰখীয়া হৈ তাক আগচিবলৈ যায়; কোনোৱে বা ভোমোৰাৰ দৰে ফুলে ফুলে ভোন্‌ভোনাই প্ৰেম-গীত গাই ফুৰে, কোনোৱে কুলিক সিয়ঁাৰি তাৰ চেৱে-চেৱে প্ৰতিধ্বনি কৰে; কোনোটিয়ে বা ৰাজহাঁহৰ ঠগেৰে গহীনাই খোজ ধৰে; কোনোৱে বা পানীত নামি সাঁতোৰ মেলিছে; কোনোৱে বা বুৰমাৰি তলে তলে গৈ পানীহাঁহৰ পাখিত ধৰিছেগৈ; কোনোৱে বা পদুমৰ চকা ছিঙ্গি আনি ভুখি পলুৱাই খাবলৈ ধৰিছে; কোনোৱে বা পদুমনলা তুলি আনি খাবহি লাগিছে; কোনোৱে গছৰ ছাঁত পদুম পাতৰ পাটী পাৰি শুইছে; কোনোৱে বা নাহৰি উঠি কঁপি কঁপি গা ৰ'দাইছে। এইদৰে গৰখীয়াবৃন্দে উৎফুল্লিত হৈ বিবিধ ৰং-ধেমালি কৰে, শ্ৰীকৃষ্ণই লগে লগে কেতিয়াবা খেলে, কেতিয়াবা হাঁহে, কেতিয়াবা বাঁহী বজাই আপোনা-আপুনি নাচে! এনেতে, বলৰামৰ ৰাম-শিঙা বাজি উঠিল ;—

আটাইটি চাপিকুচি আহি ভোজনত বহিলহি। ভোজনতো ৰাম-কৃষ্ণক মাজত লৈ অমায়িক গৰখীয়াদলৰ অপাৰ আনন্দ। ইটিয়ে সিটিৰ পাতৰপৰা চুৰ কৰি নিয়ে, সিটিয়ে ইটিৰ মুখৰপৰা থপিয়াই কাঢ়ি খায়; কোনোৱে ভাল মিঠা বস্তুটি পালে আগ ধৰি কৃষ্ণৰ মুখত এডোখৰ দিয়েহি, আৰু কৃষ্ণই অতি হেঁপাহেৰে খোৱা দেখি আনন্দত উৰুলীকৃত হয়; কোনোৱে বা তেনে মিঠা খাদ্য কৃষ্ণৰ মুখত দিবলৈ পাহৰি আক্ষেপ কৰি উঠে; কৃষ্ণই আকৌ চাওঁ চাওঁ বুলি সেই ল'ৰাৰ মুখৰপৰা আনি আধাখোৱা খাদ্য হাঁহি হাঁহি পাহৰণত খোৱাদি খাই তাৰ আক্ষেপ পাহৰায়। এইদৰেই গৰখীয়াদলে মহা আনন্দেৰে আবেলিৰ জলপান ভোজন কৰিবলৈ ধৰিলে।

ভোজনৰ পাচত অলপ জিৰণি লওঁতেই আবেলি হল, বলৰামৰ ৰাম-শিঙা বাজি উঠিল; গৰখীয়াবিলাকে গৰু-গাই আগচি আনিবলৈ দিহাদিহি যাবলৈ ধৰিলে শ্ৰীকৃষ্ণ কিন্তু আগ নহল; কি জানো কি ভাবি-গুণি তেওঁ পিচৰপৰা সতৰ্কভাৱে কেইওপিনে দৃষ্টি ৰাখি লাহে-ধীৰে আগুৱাবলৈ ধৰিলে। এনেতে, তেওঁ দেখা পালে যে, জন্তু যোৱা-অহা কৰা এটা জোপ্‌তলীয়া পটী ভেটি ধৰি এটা প্ৰকাণ্ড অজগৰ মুখমেলি পৰি আছে; আৰু চুম্বকে লো টনাদি টানি সি আগত পৰা জীৱ-জন্তু গ্ৰাস কৰিব লাগিছে। চাওঁতে চাওঁতে দেখা গল যে, গৰু-পোৱালি এটা খেদি নি নি সৰু গৰখীয়া ল'ৰা এটিও অজগৰৰ গৰ্ভত সোমালগৈ! তাকে দেখি, লগৰীয়া আনবিলাক গৰখীয়াই ভয়ত বিহ্বল হৈ কোঢ়াল লগাই উঠিলে। এনেতে, শ্ৰীকৃষ্ণ পিচৰপৰা লৰি আহি আগ হলহি। তেওঁ গৰখীয়াবৃন্দক অভয় দি, আৰু সিবিলাকক পিচ পেলাই লৈ, অতি মিঠা সুৰেৰে লাও-বাঁহী বজাবলৈ ধৰিলে। শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰ শুনি শুনি অজগৰে মুখ মেলা ভাগেই চকু পিৰিকাবলৈ ধৰিলে। সেই ছেগতে মেল-খোৱা মুখৰ মাজত এডোখৰ দুইমূৰে জোঙলা বাঁহ তাৰ মুখৰ ভিতৰত তালু আৰু তলৰ টোটোলাত লগাই শ্ৰীকৃষ্ণই অজগৰৰ মুখ জপাব নোৱাৰা কৰি লৈ, তাৰ পিঠিত উঠি বাঁহী বজাই ঢপাঙ্গি পিটি নাচিবলৈ ধৰিলে; অজগৰে সেই ঢপাঙ্গপিটনি সহিব নোৱাৰি হোলোকা-হোলোকে তেজ বটিয়াবলৈ ধৰিলে; সেই বাঁটিত অন্যান্য বস্তুৰ লগতে জীয়াই জীয়াই গৰু-পোৱালিটোৰে সৈতে গৰখীয়া ল'ৰাটি ওলাই আহিল। দেখি, লগৰীয়া গৰখীয়াবৃন্দৰ সীমা নাথাকিল। তাৰ পাচত, শ্ৰীকৃষ্ণই সেই অজগৰক খুচি-কাটি-গছকি বধ কৰি, বৃন্দাবনৰ সেই ৰমা উপবন নিৰাপদ কৰি, গৰু-গাই চপাই লৈ লগৰীয়া গৰখীয়াবৃন্দ আৰু অগ্ৰজ বলৰামেৰে সৈতে গোপ-উপনিবেশলৈ উলটি আহিলে। ইয়াকে "অঘাসুৰ বধ" বোলে। এই ঘটনাৰপৰা গৰখীয়াবৃন্দই মুখে-মুখে কৃষ্ণ ভক্তি বৃন্দাবনৰ চৌদিশে চতুৰ্গুণকৈ বিয়পাই তুলিলে। "কৃষ্ণৰ অসাধ্য একো নাই" এই কথা বৃন্দাবন বিয়পি পৰিল।

অষ্টম আধ্যা

প্ৰথম ছেদ

ইন্দ্ৰযজ্ঞ ভঙ্গ আৰু গোযজ্ঞ প্ৰৱৰ্ত্তন*

বাৰিষাৰ অৱসান আৰু শৰতৰ আৰম্ভণ[১]। এই জুৰ্‌বতৰীয়া ঋতু-সলনিৰ দোমোজাত প্ৰকৃতিয়ে সাজ সলাই নিৰ্ম্মল ৰূপ ধাৰণ কৰিছে। জীৱ-জন্তুবোৰৰ গাত স্বভাৱতে উলাহৰ ৰাগি লাগিছে। সদৌ নৰ-নাৰীয়ে নিজঙ্গলীয়া ভাৱত বছৰৰ গধুৰ কৰ্ত্তব্য কামলৈ মন মেলিছে। পৰিশ্ৰমৰ পাচত বিশ্ৰাম, আৰু বিশ্ৰামৰ পাচত পুণ্য মনস্কাম সাধনাৰ আয়োজনে কৰ্ম্মক্ষেত্ৰ আৱৰি ধৰিছে। তাৰ

* অযাজয়দ্গোসবেন গোপৰাজং দ্বিজোত্তমৈঃ।
বিত্তস্য চোৰোভাৰস্য চিকীৰ্ষঃ সদ্ভায় বিভুঃ॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, প্ৰথম আধ্যা, ৩২ শ্লোক।

(১) শ্ৰীমদ্ভাগৱত দশম স্কন্ধ, ২৪শ আধ্যা, শৰৎ বৰ্ণনা।

নিদৰ্শনস্বৰূপে ওপৰত মেঘশূন্য নিৰ্ম্মল আকাশমণ্ডল তৰা-ফুলেৰে জকমক; তলত প্ৰফুল্ল পদ্মফুলেৰে সুশোভিত সৰোবৰ সুস্থিৰ আৰু গম্ভীৰ। তত্ত্বজ্ঞানী যোগীৰ গভীৰ অন্তৰ তথ্যভেদী ভাবে স্পৰ্শ কৰাৰ দৰে, সুবিমল হ্ৰদ-বিলৰ পানীয়ে যেন পাৰৰপৰা চাপ থাই গৈ কৰ্ত্তব্য সাধনাৰ ডাঠ্ ভাবেৰে কুমুদক মুদাই ধৰিছে। বংশধৰ মাজৰ সাধুজনৰ গৌৰৱ বঢ়াবৰ অৰ্থে যিৰূপে আত্মীয়-স্বজনে সেই গুৰিয়ালক আগুৰি ধৰে, জোনাক ৰাতিৰ জেউতি চৰাবৰ অৰ্থেও যেন সেইৰূপে তৰামণ্ডলীয়ে চন্দ্ৰক আগুৰি ধৰিছে। যোগভ্ৰষ্ট যোগীয়ে পুনৰায় যোগত তন্ময় হোৱাৰ দৰে, আৰু পাৰত উঠি জিৰোৱা ৰাজহংসই পুনঃ পানীত নামি গহীন হোৱাৰ গতেৰে, সাগৰেও যেন আত্ম-তনু ক্ষয় কৰি, বাষ্পৰূপে আকাশলৈ উঠি, তাতে মেঘ হৈ পুনঃ বৃষ্টিৰূপে পৃথিবীলৈ নামি, আপুনি আপোনাতে মিলি প্ৰশান্ত মূৰ্ত্তি ধাৰণ কৰিছে। যোগীয়ে যোগাগ্নিৰে সৈতে ক্লেশ দহন কৰি যিৰূপে আপোনাৰ মন নিৰ্ম্মল কৰে, শৰতৰ আকাশেও সেইৰূপে আপোন শোভাৰ জেউতিৰে মেঘৰ ঢাকনি আঁতৰাই থৈ নিৰ্ম্মলৰূপ ধাৰণ কৰিছে। এনে সুখ-শান্তি-জিৰণিৰ পুণ্যপয়োভৰ শীতল শৰৎ ঋতুৰ আৰম্ভণত ব্ৰজৰ গোপ-গোপিনীয়ে পূৰ্ব্বাপৰ প্ৰচলিত ৰীতি অনুসাৰে ইন্দ্ৰযজ্ঞৰ মহানুষ্ঠানলৈ বিশেষ মনযোগেৰে আগ বাঢ়িছে। এনে ছেগতে লগৰীয়া গৰখীয়া-বৃন্দৰে সৈতে পৰিবৃত হৈ ৰাম-কৃষ্ণ বয়সীয়া ব্ৰজগোপ-সকলৰ সেই বিষয়ক সামাজিক আলোচনা আৰু আয়োজনৰ মাজত সোমাল হি।[১]

শ্ৰীকৃষ্ণই অতি সৰলভাৱে পোন-প্ৰথমে গোপপতি নন্দৰাজত এই বুলি সুধিলে, "পিতাদেৱ! আপোনাসকলে নো আজি এইবোৰ কিহৰ নিমিত্তে আয়োজন কৰিছে?"[২] নন্দৰাজে এটি আনন্দৰ হাঁহি মাৰি এই বুলি সমিচাৰ দিলে, "বোপা! এইবোৰ আয়োজন ইন্দ্ৰযজ্ঞৰ নিমিত্তে হৈছে।" কৃষ্ণই পুনৰপি প্ৰশ্ন কৰিলে, "পিতা, ইয়াৰ নো উদ্দেশ্য কি?" সেই প্ৰশ্নৰ উত্তৰত নন্দৰাজ আৰু অন্যান্য মুখিয়াল বয়সীয়া গোপসকলে এই বুলি চমুকৈ ব্যাখ্যা দিলে,—"ইন্দ্ৰদেৱতা মেঘৰ গৰাকী; তেওঁৰ ইচ্ছানুসৰি মেঘে বৰষুণ দিয়ে; সেই বৰষুণে ঘাঁহ-বন আৰু শস্যাদিক জীপ্ দিয়ে; সেই ঘাঁহ-বন খাই আমাৰ গাইবিলাকে বল-শক্তি পায়; সেই গাইৰ গাখীৰেৰে যুগুত কৰা ক্ষীৰ, দৈ, নৱনী, মাখন, ঘিঁউ আদি সোৱাদ আৰু পুষ্টিকৰ আহাৰ খাই আমি শক্তিবান হওঁ। এতেকে, মানুহ আৰু জীৱ-জন্তু আদিৰ পৰম উপকাৰী ইন্দ্ৰ আমাৰ পৰম পূজনীয় দেৱতা। সেই কাৰণে, আমি বছৰি এই আজৰি বতৰত সেই দেৱৰাজক এভাগি ৰাজহুৱা পূজা দিওঁ। এতিয়া তাৰ নিমিত্তেই এই আয়োজন কৰা হৈছে।"[৩]

সেই উত্তৰৰ প্ৰত্যুত্তৰত শ্ৰীকৃষ্ণই উপস্থিত গোপসকলক কথাৰ ছলতে এই বুলি বুজনি দিলে, "আপোনাসকলৰ এই ধাৰণাত বিশেষ ভুল আৰু ভ্ৰান্তি আছে যেন লাগে। আমি খেতিয়কো নহওঁ, বেপাৰীও নহওঁ; আমি হাবিয়ে-বনে বসতি সলাই-ফুৰা এবিধ অঘৰী জাতীয় পমুৱা মানুহ। গতিকে, খেতিৰ উপযোগী বৰষুণৰ আমাৰ বিশেষ প্ৰয়োজন নাই। এতেকে, সেই বৰষুণ দিওঁতা মেঘ আৰু তাৰ গৰাকী ইন্দ্ৰক পূজিবৰো আমাৰ বিশেষ সকাম নাই। প্ৰকৃতপক্ষে হাবি, বন, পৰ্ব্বত আৰু ঘাইকৈ গো-ধন হে আমাৰ পৰম উপকাৰী; আমি এইবোৰক হে পূজা কৰা উচিত। বিশেষতঃ, যাৰপৰা প্ৰত্যক্ষ উপকাৰ পোৱা যায়, আন কোনো নেদেখা-জনাক উপকাৰী ভাবি পূজিলে সিমান লাভ কৰিব পৰা নাযায়। আৰু আমাৰ পূজাৰ উপকৰণাদি যি দেখাদেখিকৈ ভোগ কৰিব, সিহে তাৰ প্ৰকৃত গৰাকী। এতেকে, আপোনাসকলে ইন্দ্ৰযজ্ঞৰ সলনি বৃন্দাবনৰ বন-ৰজাস্বৰূপ গোবৰ্দ্ধনগিৰিক পূজা কৰক, গৰু-গাই আদিক ভালকৈ খুৱাওক-ধুৱাওক, দুখী-দৰিদ্ৰক অন্ন-বস্ত্ৰাদি বিলাওক। এই হে বিশিষ্ট পূজা; ইয়াৰপৰাহে

(১) বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, পঞ্চম আধ্যাৰ বিস্তাৰিত বৰ্ণনাৰপৰা তোলা টোকা।

(২) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৭১ আধ্যা।

৩ (ক) বিষ্ণুপৰাণ, পঞ্চম খণ্ড, পঞ্চম পৰিচ্ছেদ।

(খ) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৪ আধ্যা, ৩—৭ শ্লোক।

(গ) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৭১ আধ্যা।

ইহ-পৰকালত প্ৰকৃত উপকাৰ পোৱা যাব। এই জীৱলোক কৰ্ম্মৰ দ্বাৰাই উৎপন্ন আৰু কৰ্ম্মৰ দ্বাৰাই প্ৰলীন হব লাগিছে। সুখ, দুখ, ভয়, অভয় সকলো নিজ কৰ্ম্মৰ দ্বাৰাই ঘটিব লাগিছে[১]। কৰ্ম্মৰ ফলদাতা যদি কোনোবা থাকে, তেওঁৰো কৰ্ত্তাৰ অনুগামী হৈ হে কৰ্ম্মফল প্ৰদান কৰিব পাৰে। নিজ কৰ্ম্মানুসাৰেই যিস্থলত ফলপ্ৰাপ্তি ঘটে আৰু পুনৰাই পূৰ্ব্বৰ সংস্কাৰ অনুসাৰেই জীৱই কৰ্ম্ম কৰি থাকে, সেই স্থলত তাৰ অন্যথা কৰিবলৈ ইন্দ্ৰৰো ক্ষমতা নাই, আন কাৰো সামৰ্থ্য নাই। এতেকে, নেদেখা-ক্ষমতা ইন্দ্ৰৰ দ্বাৰাই মানুহৰ উপকাৰ সাধিত হব বুলি সঠিককৈ কোনোৱে কব নোৱাৰে[২]। প্ৰাণী মাত্ৰেই স্বভাৱৰ অধীন হৈ স্বভাৱানুসাৰেই কৰ্ম্ম কৰে; আন কি, দেৱতা আৰু অসুৰগণো স্বভাৱৰ অধীন[৩]।

প্ৰকৃতিপ্ৰাণ নাবালক পুৰুষ শ্ৰীকৃষ্ণৰ শ্ৰীমুখৰপৰা এই জ্ঞানগৰ্ভ উপদেশ শুনি নন্দৰাজ আৰু গোপবৰ্গ স্তম্ভিত আৰু মোহিত হল। এই উপদেশ বাক্যে প্ৰত্যেক গোপ-হিয়া স্পৰ্শ কৰিলে; প্ৰত্যেকেই হাতৰ কাম-বন এৰি মৌনভাব ধৰি তেওঁৰ প্ৰস্তাৱত সন্মতি জ্ঞাপন কৰিলে[৪]। বাস্তৱতে, শ্ৰীকৃষ্ণৰ প্ৰতি গোপবৰ্গৰ প্ৰেম, ভক্তি আৰু বিশ্বাস ইমান গভীৰ আৰু প্ৰবল যে, তেওঁৰ সেই একেষাৰ উপদেশ-বাক্যেই গোপসকলৰ আন্তৰিক ধৰ্ম্মভাব আৰু অতি পূৰ্ব্ব-পুৰুষৰপৰা চলি অহা ৰীতি-নীতি লুটিয়াই পেলালে, সিবিলাকে মহোল্লাসেৰে হাতত লোৱা ইন্দ্ৰযজ্ঞৰ আয়োজন ততালিকে সলাই, তাক গোবৰ্দ্ধনগিৰি-পূজালৈ আগ কৰিলে; আৰু সেই অনুসৰি মহা আড়ম্বৰেৰে গোবৰ্দ্ধন-গিৰিত 'গোযজ্ঞ' নামে প্ৰকৃতি-পূজা[৫] আৰম্ভ হল। তাৰ পাচৰপৰা সেই উদ্দেশে গৰু-গাই আৰু দুখী-দৰিদ্ৰ আদিক পাৰ্য্যমানে খুউৱা-ধুউৱা, সাধু-শুশ্ৰূষা, পশু-সেৱা আদি ৰীতি পালন কৰা হল। সেই অনুসৰি, একেৰাহে তিনদিন-তিনিৰাতি গোপ-গোপিনী আৰু সিবিলাকৰ ল'ৰা-ছোৱালী সমন্বিতে সদৌ ব্ৰজবাসী বিচক্ষণীয়া গিৰি-গোবৰ্দ্ধনপাদত সমবেত হৈ আনন্দ-উৎসৱত আপোন-পাহৰা হল। শ-শকৈ ছাগ-বলি, মেৰা বলি, চেঁউৰী-গাই-বলি আৰু ম'হ-বলি পৰিল, বিবিধ খোৱা-বস্তু আৰু আহাৰ-পাতি গোটোৱা হল; অপৰ্য্যাপ্ত গাখীৰ, দৈ, মাখন, ঘিঁউ, ক্ষীৰ, নৱনী, মিঠৈ আদি যুগুত কৰা হল; সেই তিনিও দিনত যাৰ যি ইচ্ছা মনৰ জোখাই ভোজন কৰি পৰিতুষ্ট হল[৬]। লালীকৈ তিনি ৰাতি বিবিধ নাচ-গীত আৰু নানা তৰহৰ ৰং-ধেমালিত সদৌ ব্ৰজবাসী আপোন-পাহৰা হল। ৰাশি ৰাশি পূজাৰ নৈবেদ্য গোবৰ্দ্ধনৰ পদত অৰ্পণ কৰা হল; প্ৰকৃতিনন্দন গোবৰ্দ্ধনৰ বক্ষত অযাচিতে প্ৰতিপালিত প্ৰকৃতিসন্তান বান্দৰ, ভালুক, হৰিণ, ম'হ, মেঠোন, ম'ৰা-মৈৰা, বগ-বগলী, চাকৈ-চকোৱা, কৰ্চ্চন প্ৰভৃতি বিবিধ পশু-পক্ষীয়ে সেই নৈবেদ্য পাৰ্য্যমানে ভোগ কৰি প্ৰত্যক্ষৰূপে

(১) কৰ্ম্মণাজায়তে জন্তুঃ কৰ্ম্মণৈৱ প্ৰলীয়তে।
সুখং, দুঃখং, ভয়ং, ক্ষেমং কৰ্ম্মণৈৱাভিপদ্যতে ॥
—শ্ৰীমদ্ভাগৱত, দশমস্কন্ধ, ২৪ আধ্যা, ১২শ শ্লোক।

(২) শ্ৰীমদ্ভাগৱত, দশমস্কন্ধ, ২৪ আধ্যা, ১৩—১৪ শ্লোক।

(৩) স্বভাৱতন্ত্ৰো হি জনঃ স্বভাৱমনুৱৰ্ত্ততে।
স্বভাৱস্থমিদং সৰ্ব্বং সদেৱাসুৰমানুষং ॥
—শ্ৰীমদ্ভাগৱত, দশমস্কন্ধ, ২৪ আধ্যা, ১৫শ শ্লোক।

(৪) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৭৩ পৰিচ্ছেদ, শ্ৰীকৃষ্ণৰ শাস্ত্ৰ-জ্ঞান যে স্বভাৱসিদ্ধ তেওঁ আজন্ম প্ৰকৃতিপূজক, আৰু পৰমাত্মাৰ বিভূতিৰ গুণ এই পৃথিবীত উপলব্ধি কৰোৱাই যে তেওঁৰ জীৱনৰ মহাব্ৰত আছিল, এয়ে তাৰ বিশিষ্ট প্ৰমাণ।

(৫) এই গো-গিৰি পূজাকে, পাচত, শ্ৰীকৃষ্ণৰ গীতা-সুৰেৰে প্ৰচাৰিত মহাধৰ্ম্মৰ অঙ্কুৰ বোলা যায়। যথাস্থানত এই অনুপম মহাধৰ্ম্মৰ বহল ব্যাখ্যা দিয়া হব। তাৰপৰাই বুজা যাব যে, শ্ৰীকৃষ্ণৰ গীতা-ধৰ্ম্ম বিৰাট প্ৰকৃতি-পূজাত বাজে আন একো নহয়। প্ৰকৃতিত যে পৰমেশ্বৰ প্ৰত্যক্ষ-ভাৱে প্ৰতিভাত হয়, গোবৰ্দ্ধন-গিৰি-পূজা বা নন্দৰাজৰ "গোযজ্ঞ" তাৰ আভাস মাথোন।—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ১ম আধ্যা, ৩০ শ্লোক।

(৬) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৭৩ পৰিচ্ছেদ। শ্ৰীকৃষ্ণ নিজেও যে অতি ভোজনপ্ৰিয় পুৰুষ আছিল, আৰু তাৰ গুণত যে তেওঁ অতি বলৱন্ত লোক আছিল, এয়ে তাৰ বিশিষ্ট প্ৰমাণ।

প্ৰকৃতিৰ উদৰ পৰিপূৰ্ণ কৰিলে[১]। ইফালে, ভোজন সমাপন কৰি আনন্দ-উৎসৱত উৰুলীকৃত হৈ ল'ৰা-ছোৱালী বিলাকে হাতে-হাতে ধৰা-ধৰি কৰি মণ্ডলাকাৰ হৈ নাচোন ধৰিছে; বোৱাৰী-জীয়াৰী গৃহিণী-গোপিনীবৰ্গে জাঁত-জাঁতকৈ নাম-কীৰ্ত্তনৰ সুৰত গছৰ পাত খিলি-খিলিকৈ নচুৱাইছে; গোপবিলাকৰ ঐক্যতানৰ হৰি-সংকীৰ্ত্তনৰ হৃদয়গ্ৰাহী ৰাগ-ৰাগিণী গগন ভেদি উধাইছে; ঢোল-খোল মৃদঙ্গাদি বাদ্য আৰু হিয়াভেদী শঙ্খ-ধ্বনিয়ে গোবৰ্দ্ধন গিৰিৰ গাত প্ৰতিধ্বনি তুলিছে; ধূপ্-দীপৰ গোন্ধেৰে পৰিমাৰ্জ্জিত হৈ মন্ত্ৰোচ্চাৰিত মোহিনী সুৰত বিমুগ্ধ মানবাত্মা তন্ময় হৈছে! এনে আনন্দৰ উলাহত আহি গীতিকণ্ঠ বংশীবদন শ্ৰীকৃষ্ণই মোহন-মুৰুলী বাদনেৰে সমবেত মানৱ মণ্ডলীৰ হিয়াত আত্ম-মন-প্ৰাণ নচুৱাবলৈ ধৰিলে; সেই পূজা প্ৰসঙ্গীয়া আনন্দৰ সাগৰত উলাহৰ ঢৌ তুলি কৃষ্ণবেণু কেন্দ্ৰ-ৰূপে বাজিবলৈ ধৰিলে।—মৰ্ত্ত্যৰ বৃন্দাবন স্বৰ্গৰ অমৰাৱতী যেন বোধ হল!

শেহদিনা, পূজা-সামৰণত, জগন্মোহন শোভাযাত্ৰা হল। গোপগৰখীয়াবৃন্দে নিজ নিজ গৰু-গাই মাহ-হালধিৰে সৈতে নোৱাই-ধুৱাই কপালত ৰঙিতা খোৱা মাহৰ ফোঁট দি, শিঙত হালধিৰ ৰহণ সানি, ডিঙিত মাখিয়তীৰ মালা পিন্ধাই, হাতেপতি একোডালি দিগ্লতিৰ এছাৰি লৈ গোবৰ্দ্ধন-যাত্ৰাৰ অৰ্থে সাজু হলহি[২]; গোপ গোপিনী-বিলাকে সাঁচতীয়া সাজ-পাৰ পিন্ধি-উৰি উলাহেৰে ওলাই আহি উপস্থিত হলহি; গৰখীয়া-বাহিনীয়ে কৃষ্ণবেণুৰ চেৱে-চেৱে ঠেও ধৰি নাচোন ধৰিলেহি। এনেতে, গুৰি-ধৰা হলধৰৰ ৰামশিঙা বাজি উঠিল,—শ্ৰীকৃষ্ণ-পদ অনুসৰণ কৰি সুসজ্জিত গৰু-গাইৰে সৈতে সমবেত ব্ৰজবাসীয়ে গোবৰ্দ্ধন-গিৰি প্ৰদক্ষিণ কৰি বিৰাট শোভাযাত্ৰা আৰম্ভ কৰিলে।—কি যে চকুজুৰোৱা হৃদয়গ্ৰাহী দৃশ্য!—দহ বছৰীয়া এটি নাবালক-নেতাৰ অনুগামী শত-সহস্ৰ আবালবৃদ্ধবনিতা নৰ-নাৰীৰ উলাহিত শোভাযাত্ৰা[৩]! শ্ৰীকৃষ্ণ আজন্ম সমাজ-নীতিজ্ঞ আদৰ্শ পুৰুষ। শিশু কৃষ্ণৰ স্বাভাবিক ভোজন-প্ৰণালীয়ে ব্ৰজৰ গোপ-গোপিনীক দেহগঠন শিক্ষা দিছিল[৪]। চালুকীয়া কৃষ্ণৰ চলন-ফুৰণ অনুসৰণ কৰি সিবিলাক পৰিচালিত হৈছিল। চেঙেৰা কৃষ্ণৰ নেতৃত্ব মানি গৰখীয়া-বাহিনী[৫] গঠিত হৈছিল। চেমনীয়া কৃষ্ণৰ উপদেশ মানি সদৌ বৃন্দাবনবাসী ধৰ্ম্ম-অনুষ্ঠানাদিত একাগ্ৰ-চিতীয়া হৈ চলিছিল। শ্ৰীকৃষ্ণৰ যৌবন আৰু আদহীয়া

---

(১) কোনো কোনো পুৰাণমতে পূজাৰ নৈবেদ্যাদি শ্ৰীকৃষ্ণই বহুৰূপ ধাৰণ কৰি স্বয়ং ভোগ কৰিছিল। কিন্তু, গোপসকলৰ ধাৰণামতে প্ৰকৃতিনন্দন গোবৰ্দ্ধন গিৰিয়ে বিবিধ জীৱ-জন্তুৰ জৰিয়তে সেইবোৰ মহাতৃপ্তিৰে উপভোগ কৰিছিল।

(২) বৰ্ত্তমান অসমদেশত বহাগৰ বিহুত এই ৰীতি প্ৰচলিত।

(৩) শ্ৰীমদ্ভাগৱতে শ্ৰীকৃষ্ণৰ বয়স সেইকালত মুঠেই সাত বছৰ বুলিছে। হৰিবংশ আৰু বিষ্ণুপুৰাণত তেতিয়া শ্ৰীকৃষ্ণ দহবছৰীয়া বুলি বৰ্ণিত হৈছে। কিন্তু, আচলতে দহ বছৰো নহয়, এঘাৰ বছৰ হে। কিয়নো, গোকুলৰপৰা বৃন্দাবনলৈ আহোঁতেই শ্ৰীকৃষ্ণ সাতবছৰীয়া; ঘটনাৱলীৰ ক্ৰম্ বিজাই-মিলাই চালে বুজা যায় যে,. বৃন্দাবনত চাৰি বছৰমান বসতি কৰাৰ পাচত হে গোবৰ্দ্ধনগিৰিত গো-যজ্ঞ হৈছিল। এতেকে, সেই সময়ত শ্ৰীকৃষ্ণৰ বয়স এঘাৰ বছৰ ধৰিলে হে যুক্তিৰ ওচৰ চাপে।

(৪) ধৰ্ম্মোৎসৱাদিত নৃত্য-গীতাদি আনন্দক্ৰীড়াৰ লগে লগে যে ভোজনাদিৰো পাৰ্য্যমানে আয়োজন হোৱা উচিত, শ্ৰীকৃষ্ণৰ এই প্ৰকৃতি-পূজা অনুষ্ঠানত তাৰ বিশিষ্ট প্ৰমাণ পোৱা যায়। আজন্ম স্বভাৱ-পণ্ডিত শ্ৰীকৃষ্ণই যে দেহ আৰু মন দুইৰো সমান পুষ্টিসাধনলৈ সমান লক্ষ্য ৰাখিছিল, ই তাৰ এটা জলন্ত পটন্তৰ। শ্ৰীকৃষ্ণ নিজেও ভোজনপ্ৰিয় পুৰুষ আছিল। যি যি সামগ্ৰী ভোজন কৰিলে দৈহিক বল বৃদ্ধি হয়, সেই সেই সামগ্ৰীত শ্ৰীকৃষ্ণৰ সকলোপৰা ৰুচি প্ৰবল। সেই হে যশোদানন্দন 'মাখন-চোৰ' নামেৰে বিভূষিত হৈছিল। সবল ভোজনৰ বলত হে শ্ৰীকৃষ্ণ সকলোকালৰেপৰা দৈহিক বলৱন্ত মানৱৰ আদৰ্শ পুৰুষ আছিল। তাৰ গুণত হে শ্ৰীকৃষ্ণই কোমল বয়সতে পৈণত বয়সীয়া মানুহৰ অসাধ্য সাধনত অদ্ভুত ক্ষমতা দেখুৱাই জন-সাধাৰণৰ মনত বিস্ময় জন্মাব পাৰিছিল।

(৫) সংসপ্তক বা নাৰায়ণী সেনা। কুৰুক্ষেত্ৰ-যুদ্ধৰ সংসৰ্গত ইয়াৰ বহুল বৰ্ণনা দিয়া যাব।

বয়সত সমস্ত ভাৰতে তেওঁক জগত-গুৰু নেতাৰূপে মানি ৰাজনৈতিক ক্ষেত্ৰত অৱতীৰ্ণ হৈছিল। [১]

দ্বিতীয় ছেদ

গোবৰ্দ্ধনধাৰী *

ইন্দ্ৰযজ্ঞ ভঙ্গ আৰু গোবৰ্দ্ধনগিৰিত গো-যজ্ঞ পতা উৎসৱ পাৰ হৈ যোৱাৰ কিছুমান দিনৰ পাচত, বৃন্দাবনত এটা অকাল-বৰষুণৰ অভাবনীয় উৎপাত উপস্থিত হয়। সাতদিন-সাতৰাতি নেৰানেপেৰাকৈ মৌ-চেপা বৰষুণ পৰি গোপ-উপনিবেশ উটুৱাই নিবলগীয়া কৰিছিল। সেই উৎপাতৰ গৰাহত পৰি অঘৰী গোপ-গোপিনী আৰু গৰখীয়া ল'ৰাবিলাকৰ বিলাই-বিপত্তিৰ সীমা নোহোৱাত পৰিল; ভালেমান গোপ-ল'ৰা-ছোৱালী ঠেৰেঙা লাগি মূছ্‌কচ্‌ গল, অলেখ দমৰা-দামুৰি উটি-ভাঁহি গৈ মহা পয়মাল ঘটিল। মূঠৰ ওপৰত, সেই অকাল-বৰষুণৰ উৎপাতে গোপ-উপনিবেশত প্ৰলয় ঘটোৱাৰ নিচিনা কৰিলে। এনে আপদৰ কালত গোপ-পৰিয়ালবৰ্গে শ্ৰীকৃষ্ণত দোষাৰোপ কৰা নাই যদিও, মেঘৰ গৰাকী ইন্দ্ৰদেৱতা কষ্ট হোৱাৰ বাবেই সেই অঘটন ঘটিল বুলি অনুতাপ কৰিবলৈ ধৰিলে। সঙ্কেতত সন্নিধানগ্ৰাহী বুদ্ধিশ্বৰ্গ নাৰায়ণৰূপ শ্ৰীকৃষ্ণই গোপবৰ্গ আৰু সদৌ বৃন্দাবনবাসীৰ মনোভাব আৰু আন্তৰিক বেদনা অনুভৱ কৰি সিবিলাকৰ লগত সহবেদনা ব্যক্ত কৰিবলৈ ধৰিলে। সেইবাবে নিজে অনুতপ্ত হৈ উপস্থিত অপায় খণ্ডাবৰ অৰ্থে উপায় উদ্ভাৱন কৰিবলৈ তেওঁ আত্মচিন্তাত নিমগ্ন হল। সেই চিন্তাৰ ফলস্বৰূপ ততালিকে মহাবাহু অগ্ৰজ হলধৰৰে সৈতে শ্ৰীকৃষ্ণই সংসপ্তক সেনাদলক সশস্ত্ৰে লগত লৈ, গোবৰ্দ্ধনগিৰিৰ পাদত মেৰাই এখনি অপূৰ্ব্ব আশ্ৰয় ঠাই যুগুত কৰিলেগৈ। সেই সংসপ্তক সেনা বা গৰখীয়া-বাহিনীৰ লগতে সদৌ গোপবৰ্গে লগ লাগি শ্ৰীকৃষ্ণৰ দিহা মতে অৰ্দ্ধচন্দ্ৰাকাৰে গোবৰ্দ্ধন সাৱটি ধৰা এটা সুবৃহৎ আৰু সুদীৰ্ঘ ঘোপ্‌-ঘৰ একেদিনাই খানি সৃষ্টি কৰিলে[২]। অথন্তৰ গোপ-গোপিনীবৰ্গে সিবিলাকৰ ল'ৰা-ছোৱালী আৰু গৰু-গাইৰে সৈতে সেই ঘোপ্‌-ঘৰত

(১) এই ছেগতে চাবলৈ বেচ চল লাগিছে যে, শ্ৰীকৃষ্ণৰ অলৌকিকতা বা অতি-প্ৰাকৃতিকতা ঢাকিবলৈ সময়ত লৌকিকতা ঢাকনিৰ নাটনি পৰে। সেই সময়তে সি ব্ৰজৰ গোপ-গোপিনীৰ চকুত চমক্ লগায়; আৰু মাজে-সময়ে সিবিলাকে সেই বিষয়ে নকওঁ বুলিও মনোভাব অকস্মাতে কৈ পেলায়, নাইবা অতৰ্কিতভাৱে সৰল বিশ্বাস ব্যক্ত হৈ পৰে। সি যি হওক, শ্ৰীকৃষ্ণৰ অসামান্য প্ৰতিভাৰ বিকাশে যে জন-সমাজৰ প্ৰাণত চমক্ লগাইছিল তাত সংশয় নাই; আৰু সেই বাবেই যে অযাচিতে তেওঁৰ ঈশ্বৰত্ব আৰোপ কৰা হৈছিল তাতো সন্দেহ নাই।

* এই বিষয়ক বৰ্ণনা শ্ৰীমদ্ভাগৱত আৰু আন আটাই-বোৰ পুৰাণত প্ৰায় একেদৰেই লিপিবদ্ধ হৈছে। গতিকে, ইয়াক তেনেই কাল্পনিক বুলি এফলীয়াকৈ থৱ পৰা নাযায়। ইয়াৰ বৰ্ণনা এই পুথিত ঘাইকৈ 'বিষ্ণুপুৰাণ' আৰু 'হৰিবংশ'ৰপৰা টুকি লোৱা হৈছে। ভাগৱতৰ বুকুৰ বৰ্ণনা ইয়াত বিস্তৰ সোমাইছে যদিও, ভগিৱতৰ বৰ্ণনা অতি বহুল আৰু বেচি বৈজ্ঞানিক বিধৰ, আৰু তাত অলৌকি-কতাৰ মাত্ৰা অত্যধিক। পুৰাণ আৰু হৰিবংশ আটাই-বিলাকে সেই অলৌকিকতা একেভাৱেই ধৰাতো আমি তাক সেইভাৱে গ্ৰহণ কৰিব পৰা নাই। সেই অলৌকিকতা এই যে, উল্লিখিত প্ৰসঙ্গত শ্ৰীকৃষ্ণই গোবৰ্দ্ধন পৰ্ব্বতটো সাতদিন তেওঁৰ কেঞা-আঙুলি এটাৰ ওপৰত তুলি দাঙি ধৰি আছিল, আৰু সেই সাতদিনীয়া বৰ-বৰষুণৰ সময়ত বৃন্দাবনৰ সদৌ গোপ-গোপিনী, গৰু-গাই আৰু সিবিলাকৰ পালিত-আশ্ৰিত জীৱ-জন্তুবিলাকক তাৰ তলত আশ্ৰয় দিয়া হৈছিল। এই পুথিত সেই অলৌকিকতাৰ মায়া এৰাই প্ৰকৃত ঘটনাৰ ওচৰ চাপিবলৈ যত্ন কৰা হৈছে। মহা-ভাৰতেও শিশুপালৰ মুখে শ্ৰীকৃষ্ণৰ গোবৰ্দ্ধনধাৰণৰ কথা স্বীকাৰ কৰিছে, যদ্যপি শিশুপালে গোবৰ্দ্ধন গিৰিক এটা সামান্য উইহাফলুৰ লগত হে তুলনা কৰিছে।

(২) যিবিলাক বৃন্দাবন-তীৰ্থযাত্ৰীয়ে গোবৰ্দ্ধনগিৰি নিচেই গা-চাপি চাইছেগৈ, সিবিলাকে দেখিছে যে, সেই গিৰিৰ পূৰ প্ৰান্তক ভূমি ধৰি উত্তৰ আৰু দক্ষিণ দুই প্ৰান্তক আঁকোৱালি ধৰা এটা সুদীৰ্ঘ কেঁকলোৱা খাপ্‌-কটা ৰেখাৰ চিন্ অদ্যাপি আছে। সেই ৰেখ্‌ গোবৰ্দ্ধনৰ গাত এটা স্বাভাবিক চিন্ যেন দেখা যায়। সম্ভৱতঃ সেয়ে শ্ৰীকৃষ্ণৰ খনোৱা সেই ঘোপ্‌ঘৰ। আৰু, গোবৰ্দ্ধনৰ পাদত বা গুৰিত সেই খাপ্‌কটা ৰেখাটোৰ তলি এনেভাৱে সমথলেৰে বজিতা খাই মিলি আছে যে, তালৈ উপকৰাকৈ মন কৰিলে এনে বোধ হয়, যেন পৰ্ব্বতটো সেইখিনি ঠাইত

নিৰাপদে বাস কৰিলেগৈ। তেতিয়া সবাৰৰে মনত এনে এটা ভাব স্বভাৱতে উদয় হ'ল, যেন অদ্ভুত ক্ষমতাশালী অপাৰ অপায়হাৰী বিপদবন্ধু শ্ৰীকৃষ্ণই বাওঁহাতৰ কেঞ্চা আঙুলিৰ মূৰত গোবৰ্দ্ধনগিৰিক সেই সাতদিন-সাতৰাতি দাঙ্গি ধৰি ৰাখি বৃন্দাবনবাসীক আশ্ৰয় দান কৰিছিল। সেই আপাহতে শ্ৰীকৃষ্ণক "গোবৰ্দ্ধনধাৰী" বোলা হয়। আৰু সেই এক অৰ্থতে "গোবৰ্দ্ধনধাৰী" শ্ৰীকৃষ্ণ "গিৰিধৰ" নামেও অভিহিত।[১]

অদ্ভুত ল'ৰা শ্ৰীকৃষ্ণৰ অদ্ভুত ক্ষমতা আৰু অতিপ্ৰাকৃতিক কাৰ্য্যকলাপলৈ লক্ষ্য কৰি বৃন্দাবনৰ গোপ-গোপিনী আৰু অন্যান্য অধিবাসী সকলোৱে ইতিপূৰ্ব্বৰেপৰা বিস্ময় মানি আহিছিল, আৰু তেওঁৰ অলৌকিকতাত সিবিলাকৰ বিশ্বাস ক্ৰমাৎ বাঢ়ি গৈ ডাঠ্ হৈ উঠিছিল; এতিয়া, সিবিলাকৰ সেই বিশ্বাস অনুযায়ী, দেৱৰাজ ইন্দ্ৰৰ গৰ্ব্ব খৰ্ব্ব কৰি ব্ৰজবাসীক মহা প্ৰলয়ৰপৰা উদ্ধাৰ কৰালৈ চাই, বিশেষকৈ গোবৰ্দ্ধনগিৰিত অদ্ভুত আশ্ৰম নিৰ্ম্মাণ কৰা কৌশললৈ মন কৰি, শ্ৰীকৃষ্ণত ঈশ্বৰত্ব অৰ্পিবলৈ সিবিলাকে প্ৰকাশ্যে আগ বাঢ়িলে। সিবিলাকে অন্তৰে-অন্তৰে যি ভাব পুহিছিল, তাক কথাৰে ব্যক্ত কৰি শ্ৰীকৃষ্ণৰ সাক্ষাতে এই বুলি মন্তব্য প্ৰকাশ কৰিলে, "হে কৃষ্ণ! তুমি ঈশ্বৰেই নে ৰাক্ষসেই, যক্ষই নে গন্ধৰ্ব্বই,—তুমি যেই কি নোহোৱাঁ, তোমাক আমি ঈশ্বৰৰ অৱতাৰ স্বৰূপে মানি অন্তৰে সৈতে প্ৰেম-ভক্তি জনাইছোঁ। তুমি আমাৰ পৰম উপকাৰী ত্ৰাণকৰ্ত্তা। তোমাৰ অপাৰ মহিমাত আমি মুগ্ধ! তোমাৰ অলৌকিক লীলা-খেলা চাই আমি তন্ময়!"

এই আখ্যা শুনি কৃষ্ণ তবধ লাগিল। ভালেমান পৰ তেওঁ নিটাল মাৰি ৰৈ, এই বুলি ওপৰত উল্লুকিউৱা আখ্যাৰ সমিচাৰ দিলে, "আপোনাসকলে মোক ভূত বুলি ভাবক, পিশাচ বুলি লওক, ৰাক্ষস বুলি ধৰক, যক্ষ বুলি ঠাৱৰাওক, গন্ধৰ্ব্ব বুলি মাতক, যি ইচ্ছা তাকে কৰক; কিন্তু মোৰ গাত ঈশ্বৰত্বৰ আখ্যা নিদিব, মোক সততে আপোনাসকলৰ লগৰে এটা সাধাৰণ মানুহ-সন্তান বুলি জানিব। মোক যদি সঁচাকৈয়ে আপোনাসকলে ভাল পায়, মৰম কৰে, সৰলভাৱে যদি মোৰ কিবা গুণ লয়, তেন্তে মোক আপোনাসকলৰ লগৰে এজন বুলি ভাবিব; নহলে মই বৰ বেজাৰ পাম।*

শ্ৰীকৃষ্ণৰ সমিচাৰ শুনি গোপ-গোপিনীসকল বিমোৰ হৈ পৰিল। কৃষ্ণক বেজাৰ দিয়াহে নালাগে, তেওঁ কিবাস্বৰূপে অসন্তোষ পোৱা এফেৰিমান কাম আনে কৰাও সিবিলাকৰ প্ৰাণে নসহে। ওপৰত উল্লুকিউৱা মনোভাব

বহি হে আছে। তাৰপৰাই সম্ভৱতঃ পুৰাণকাৰ আৰু হৰিবংশ ৰচয়িতাই এনে কল্পনা কৰিছিল যে, শ্ৰীকৃষ্ণই সাতদিন-সাতৰাতি গোবৰ্দ্ধনগিৰি বাওঁহাতৰ কেঞ্চা-আঙুলিৰ মূৰত দাঙ্গি ধৰি থাকি, উদ্দেশ্য সিদ্ধি হোৱাৰ পাচত আকৌ আগৰ ঠাইত বহুৱাই থলে।

(১) (ক) বৰ্ষতীন্দ্ৰে ব্ৰজঃ কোপাদ্ভগ্নমানেতি বিহ্বলঃ।
গোত্ৰলীলাতপত্ৰেণ ত্ৰাতো ভদ্ৰানুগৃহ্নতা॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, দ্বিতীয় আধ্যা, ৩৩ শ্লোক।

(খ) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৭৪ পৰিচ্ছেদ।

* (ক) শ্ৰীকৃষ্ণ আৰু গোপ-গোপিনীৰ মাজত হোৱা এই কথা-বাৰ্ত্তাখিনি হু-বহুকৈ বিষ্ণুপুৰাণৰপৰা ভাঙ্গি তোলা হৈছে। হৰিবংশৰ মতেও শ্ৰীকৃষ্ণই গোপিনীবৰ্গক অনেক প্ৰসঙ্গত অনুবোধ কৰিছিল, তেওঁক সিবিলাকৰ ভিতৰৰ এজনত বাজে কাচিতো আন বুলি নাভাবিবলৈ।

(খ) মহাভাৰতৰ উদ্যোগপৰ্ব্বৰ এঠাইত শ্ৰীকৃষ্ণই এই বুলি কৈছে, "মই কোনো অদ্ভুত বা অলৌকিক কাৰ্য্যৰ কৰ্ত্তা নহওঁ, কিন্তু মানুহে কৰিব পৰা সকলো কাম মই কৰিব পাৰোঁ।"

(গ) শ্ৰীমদ্ভাগৱত মতে ব্ৰজবাসীসকলক মধুৰ বাল্য-লীলা দেখুৱাওঁতে ভগবান শ্ৰীকৃষ্ণই মুগ্ধ সিংহশিশুৰ দৰে কেতিয়াবা হাঁহে, কেতিয়াবা কান্দে! যেনে,—

কৌমাৰীং দৰ্শয়ংশ্চেষ্টাং প্ৰেক্ষণীয়াং ব্ৰজৌকসাম।
ৰুদন্নিব হসন্মুগ্ধ বালসিংহাবলোকনঃ॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, দ্বিতীয় আধ্যা, ২৮ শ্লোক।

(ঘ) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৭৬ পৰিচ্ছেদ।—শ্ৰীকৃষ্ণত ঈশ্বৰত্ব ভাব গোপবৰ্গৰ মুখে ব্যক্ত হৈ পৰাত তেওঁ এটি মিচিকিয়া হাঁহি মাৰি এই বুলি সমিচাৰ দিলে,—"হে ভীমবিক্ৰমীসকল! আপোনাসকলে মোৰ প্ৰতি যি অলৌকিক ভাব ধাৰণা কৰিছে, সি যেন আপোনাসকলৰ মনত বহি নাযায়; মই আপোনাসকলৰ এজন স্বজাতীয় বান্ধৱ মাথোন।"

তৰ্কিব নোৱাৰাকৈ হে সিবিলাকে ব্যক্ত কৰি পেলালে। সেইবাবে শ্ৰীকৃষ্ণই বেজাৰ পাইছে বুলি জানি সিবিলাক মৰণান্তিক হল, সকলোটিয়ে সমভাৱে সেই বাবে অনুতাপ কৰিবলৈ ধৰিলে।

তাৰ পাচত, শ্ৰীকৃষ্ণৰ বল-বীৰ্য্য আৰু বুদ্ধি-কৌশলৰ বিষয়ে অনাভুৱা অজলা গোপ-গোপিনীসকলে তেওঁৰ অমানুষিক কৰ্ম্ম-কাণ্ড আদি দেখি অতি বিস্ময় মানি, নন্দৰাজৰ সমীপলৈ গৈ তাৰ তত্ত্ব অনুসন্ধান কৰিলেগৈ। সিবিলাকে, কৃষ্ণৰ কেঁচুৱা কালৰেপৰা তেওঁ কৰা অদ্ভুত কাৰ্য্যাৱলী এটি-এটিকৈ স্মৰণ কৰাই, গোপৰাজক এই বুলি সম্বোধন কৰিলে, "হে ৰাজন! আপোনাৰ পুত্ৰ শ্ৰীকৃষ্ণই দেৱতাৰ সাধ্যাতীত যিবোৰ অলৌকিক কাৰ্য্য কৰি আহিছে, তালৈ চাই আমি তেওঁক স্বয়ং সৃষ্টিপালক বিষ্ণু যেন জ্ঞান কৰিছোঁ, কিন্তু আমাৰ নিচিনা অঘৰীৰ গাওঁত তেওঁ কিয় যে জনম ললে, তাৰ হে অৰ্থ পোৱা নাই[১]!" সেই কথাত নন্দৰাজে অকণো বিস্ময় নামানি, মাথোন গৰ্গাচাৰ্য্যে ৰাম-কৃষ্ণৰ নামকৰণৰ সময়ত সিবিলাকৰ সোঁৱৰণী-কাকতত যি ভাগ্য-গণনা লিপিবদ্ধ কৰি গৈছিল, তাক চমুকৈ এই বুলি ব্যাখ্যা কৰি গোপ-গোপিনীবৰ্গক বুজনি দিলে,—"হে গোপ-গোপিনীসকল! এই বিষয়ে মোৰ নিজ জ্ঞানেৰে বুজনি দিবলৈ মই নিতান্ত অক্ষম! গতিকে মোৰ পুত্ৰ শ্ৰীকৃষ্ণৰ জন্ম-পত্ৰিকাত জ্যোতিষী পণ্ডিত গৰ্গাচাৰ্য্যই গণনা কৰি যি লিখি থৈ গৈছে, তাকে ভাঙ্গি কওঁ শুনাঁ। শ্ৰীকৃষ্ণ যুগে যুগে দেহধাৰণেৰে পৃথিবীত অৱতীৰ্ণ হয়। ইতিপূৰ্ব্বে এওঁ শুক্ল, ৰক্ত আৰু পীত বৰ্ণ ধাৰণ কৰিছিল; এতিয়া তেওঁ কৃষ্ণৰূপে অৱতীৰ্ণ হৈছে। এওঁ এবাৰ বসুদেৱৰ পুত্ৰৰূপে জন্মগ্ৰহণ কৰিছিল; সেই আপাহত এওঁৰ আন এটা নাম বাসুদেৱ। ৰূপ আৰু গুণানুসাৰে এওঁৰ অনেক নাম। এওঁ ইহলোকত গোপ আৰু গো-সমূহৰ আনন্দ বৰ্দ্ধন কৰি পৰলোকত তোমালোকৰ অশেষ কল্যাণ সাধন কৰিব। এওঁৰ অসামান্য শক্তিৰ দ্বাৰাই তোমালোকে অনেক বিপদৰপৰা পৰিত্ৰাণ পাবাঁহঁক। ময়ো এওঁক স্বয়ং নাৰায়ণ হেন জ্ঞান কৰোঁ।"[২]

তৃতীয় ছেদ

গোবিন্দ *

ইন্দ্ৰযজ্ঞ ভগ্নৰ পাচত, গোপ-উপনিবেশ বৃন্দাবনত অতিবৃষ্টিজনিত ধলবিপ্লৱৰ যি প্ৰলয় উপস্থিত হৈছিল, তাৰপৰা 'গোৱৰ্দ্ধনধাৰণ' যুগুতিৰে শ্ৰীকৃষ্ণই গো-কুল সমন্বিতে গোপ-গোপিনীবৰ্গক উদ্ধাৰ কৰা অতি অদ্ভুত কাৰ্য্যে সদৌ বৃন্দাবনবাসীক কৃষ্ণমাহাত্ম্যত বিমোহিত কৰে। সেই আপাহতে সিবিলাকে কৃষ্ণভাবত তন্ময় হৈ, তেওঁক ইন্দ্ৰৰ দৰ্পহাৰী ইন্দ্ৰিয়ৰাজৰূপে বৰ্ণনা কৰি, সিবিলাকৰ অন্তৰাসনত পূৰ্ব্বৰ আৰাধ্য ইন্দ্ৰ দেৱতাৰ ঠাইত ভগবান শ্ৰীকৃষ্ণক অভিষিক্ত কৰে। আৰু, সেই অন্তৰ্জগতৰ আধ্যাত্মিক ভাব কাৰ্য্যত অভিনীত কৰি দেখুৱাবৰ উদ্দেশ্যে নন্দৰাজ প্ৰমুখ্যে বৃন্দাবনৰ মণীষী নেতাবৰ্গে প্ৰকাশ্যে এদিন কৃষ্ণযজ্ঞ-উৎসৱ পাতে। সেই যজ্ঞোৎসৱ উপলক্ষে সিবিলাকে এটি অভিনৱ স্বৰ্গীয় দৃশ্যৰ অৱতাৰণা কৰি, তাত গো-জননী সুৰভি আৰু দেৱতা-জননী অদিতিৰে সৈতে দেৱৰাজ ইন্দ্ৰক সুৰলোকৰপৰা এই মৰ্ত্ত্যলৈ অৱতীৰ্ণ কৰাই সিসবৰ মুখে নৰলোকত কৃষ্ণ-স্তুতিৰ অভিনয় বা ভাওনা পাতে। সেই উৎসৱত ৰাম-কৃষ্ণই যোগ দিয়া নাছিল; সিবিলাক গোপাল সেনানীৰে সৈতে লগলাগি গোৱৰ্দ্ধন-সংস্কাৰ কাৰ্য্যত লিপ্ত আছিল। তাৰ পাচত, সেই অভিনয়তে সুৰভি আৰু অদিতি দেবীদ্বয় প্ৰমুখ্যে দেৱতাবৰ্গ

---

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৬ আধ্যা, ১—৩ শ্লোক।

(২) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৬ আধ্যা, ১২—১৩ শ্লোক।

* কৃষ্ অৰ্থত সত্তা, আৰু ণঃ অৰ্থত পৰমানন্দ; এই দুই অৰ্থৰ সংযোগত 'কৃষ্ণ' নামকৰণ হয়। সেই কৃষ্ণই বৃন্দাবনত গোচাৰণ কৰা হেতুকে, অথবা তেওঁ হৃদয়ৰূপ বৃন্দাবনত ইন্দ্ৰিয়ৰূপী গোগণৰ নিয়ন্তা বুলি, শ্ৰীকৃষ্ণৰ অন্যতন নাম 'গোবিন্দ' হয়। এইটি শ্ৰীকৃষ্ণৰ আধ্যাত্মিক নাম।

আৰু ঋষিসকলৰ সাক্ষাতে স্বয়ং দেৱৰাজ ইন্দ্ৰৰ দ্বাৰাই ভগবান শ্ৰীকৃষ্ণৰ অন্যতম বিশেষ নাম 'গোবিন্দ' অভিহিত কৰোৱা হয়।[১]

সেই দিনধৰি গোপবৰ্গে ইন্দ্ৰযজ্ঞৰ সলনি বছৰি গোবৰ্দ্ধন-পূজা[২] পতাৰ নিয়ম প্ৰচলন কৰে। সেই পূজাৰ প্ৰবৰ্ত্তক শ্ৰীকৃষ্ণৰ দিহা মতে, প্ৰচুৰ অন্ন-ব্যঞ্জনাদি আৰু দৈ, ঘিঁউ, মাখন, নৱনী, মাহ-প্ৰসাদ আদি নৈবেদ্যৰে সৈতে গোবৰ্দ্ধনগিৰিত পূজা দিয়া হয়; আৰু সেই গিৰিবাসী বান্দৰ প্ৰমুখ্যে বিবিধ পশু-পক্ষী, পোক-পৰুৱা আদি অসংখ্যাত প্ৰকৃতি সন্তানে সেই নৈবেদ্যাদি উপভোগ কৰে। স্বৰূপাৰ্থত, সেই গোবৰ্দ্ধন-পূজাক প্ৰকৃতপক্ষত প্ৰকৃতি-পূজা বোলা যায়। ইয়াৰ দ্বাৰাই ভগবান শ্ৰীকৃষ্ণই ভগৱদ্ভক্ত গোপবৰ্গক সৃষ্টি মাহাত্ম্য পূজা কৰিবলৈ এটি অপূৰ্ব্ব পন্থা প্ৰদান কৰে।

নৱম আধ্যা

চেমনীয়া কৃষ্ণ

প্ৰথম ছেদ

ৰাসলীলা *

শ্ৰীকৃষ্ণই লগৰীয়া গৰখীয়াবৃন্দৰে সৈতে যি দৰে গীত-বাগ আদি নানা তৰহৰ ৰং-ধেমালিত মজি সততে আনন্দত

---

(১) শ্ৰীমদ্ভাগৱত মহাপুৰাণ মতে, ভগবান শ্ৰীকৃষ্ণই অদ্ভুত শক্তিৰে ইন্দ্ৰৰ ক্ৰোধ আৰু অভিমান ব্যৰ্থ কৰাত শঙ্কাকুল হৈ, দেৱতা-জননী অদিতিৰ অনুমোদন অনুসৰি গো-জননী সুৰভি সমন্বিতে বৃন্দাবনলৈ আহি ইন্দ্ৰই ভগবান শ্ৰীকৃষ্ণত ক্ষমা ভিক্ষা কৰি ভকতবৎসল গোপাল শ্ৰীহৰিক 'গোবিন্দ' নামে অভিহিত কৰেহি। যেনে,—

ইন্দ্ৰঃ সুৰৰ্ষিভিঃ সাকং চোদিতো দেৱমাতৃভিঃ।
অভ্যষিঞ্চত দাশাৰ্হং গোবিন্দ ইতি চাভ্যধাৎ॥

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৭ আধ্যা, ২১ শ্লোক।

(২) গো অৰ্থত ইন্দ্ৰিয়গণ; যি মহাশক্তিয়ে সেই ইন্দ্ৰিয়গণক বৰ্দ্ধন কৰে, সেই শক্তিৰ গৰাকীয়েই গোবৰ্দ্ধন। বৃন্দাবনৰ সেই মহাগিৰিক সেই মহাশক্তিবিশিষ্ট বুলি ধৰি গোবৰ্দ্ধন বোলা যায়। এতেকে, গোবৰ্দ্ধন মানে জগতত গোচাৰণৰ স্থল, বা গোগণৰ পুষ্টিকাৰক ঘঁাহনি গিৰি।

* (ক) 'ৰাস' মানে নাচ, বিশেষকৈ মহিলা-মণ্ডলীৰ। এতেকে, গোপিনীসকলে মণ্ডলাকাৰ হৈ ঘূৰি-ঘূৰি বা বেৰি-বেৰি বা মৰল-পাতি ধৰা নাচোন।

—তাৰানাথ-টীকা।

(খ) হৰিবংশত 'ৰাস' শব্দৰ নামেই নাই; তাত তাৰ ঠাইত 'হল্লীষ' বোলা হৈছে। কিন্তু, ৰাস আৰু হল্লীষ দুয়ো শব্দে নাচকে হে বুজায়।—হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৭৭ পৰিচ্ছেদ (হল্লীষ ক্ৰীড়াণম্)।

(গ) বিষ্ণুপুৰাণত ৰাসলীলা অতি পৱিত্ৰভাৱে বৰ্ণিত হৈছে। তাত 'হৰিবংশ'ৰ বিলাসিতা, ভাৰ্গৱতৰ আদিৰস, আৰু ব্ৰহ্মবৈৱৰ্ত্তপুৰাণৰ আদ্য আসক্তিপূৰিত কৃষ্ণ-কেলিৰ সঞ্চাৰ নাই।—বিষ্ণুপুৰাণ, ৫ পঞ্চম খণ্ড, ১৩ আধ্যা। তথাপি, ব্ৰহ্মবৈৱৰ্ত্তৰে সৈতে অমিল যদিও, বিষ্ণুপুৰাণৰ 'ৰাস' আৰু হৰিবংশৰ 'হল্লীষ' বৰ্ণনা প্ৰায় একেই; যেনে,—

তা বাৰ্যমানাঃ পাতিভিঃ পিতৃভিৰ্ভ্ৰাতৃভিস্তথা।
কৃষ্ণং গোপাঙ্গনা ৰাত্ৰৌ মৃগয়ন্তে ৰতিপ্ৰিয়াঃ॥

—বিষ্ণুপুৰাণ।

তা বাৰ্য্যমাণাঃ পিতৃভিঃ ভ্ৰাতৃভিৰ্মাতৃভিস্তথা।
কৃষ্ণং গোপাঙ্গনা ৰাত্ৰৌ ৰমায়ন্ত ৰতিপ্ৰিয়াঃ॥

— হৰিবংশ।

(ঘ) শ্ৰীমদ্ভাগৱত মতে 'ৰাস' অৰ্থত মুনিহ-তিৰোতাই হাত-ধৰাধৰিকৈ মৰল পাতি ধৰা নাচোন।--শ্ৰীধৰ স্বামীকৃত শ্ৰীমদ্ভাগৱতৰ ২৯--৩৩ আধ্যাৰ টীকা।

(ঙ) বৃন্দাবনৰ ৰাসলীলাৰ সময়ত কৃষ্ণ চেমনীয়া, ১২ বাৰবছৰীয়াটি মাথোন। অগা-পিচা ঘটনাৱলীৰ বিজনিৰ-পৰা জনা যায় যে, 'ইন্দ্ৰযজ্ঞ ভঙ্গ' আৰু 'গো-যজ্ঞ প্ৰৱৰ্ত্তনৰ' এবছৰমানৰ পাচত ৰাসলীলা প্ৰৱৰ্ত্তিত হয়। ইন্দ্ৰযজ্ঞভঙ্গৰ সময়ত শ্ৰীকৃষ্ণৰ বয়স ১১ বছৰ বুলি ইতিপূৰ্ব্বতে যথাঠাইত প্ৰতিপন্ন কৰা হৈছে।

(চ) জয়দেৱকৃত 'গীতগোবিন্দ' আৰু ব্ৰহ্মবৈৱৰ্ত্ত প্ৰমুখ্যে খনচেৰেক, পুৰাণে এই ৰাসলীলাৰ সংসৰ্গত শ্ৰীকৃষ্ণক কামদেৱৰ অৱতাৰ স্বৰূপে অৱতাৰণা কৰিছে। ভাগৱতে মদনৰ দৰ্প চূৰ্ণ কৰিবৰ অৰ্থে শ্ৰীকৃষ্ণই ৰাসলীলাৰ অৱতাৰণা কৰিছিল বুলিছে। সিবিলাকৰ উদ্দেশ্য অতি পৱিত্ৰ হলেও, আজিকালি তাৰ ওপৰত "নানা ঋষিৰ নানা মত"। সি যি হওক, ভাগৱতে শ্ৰীকৃষ্ণ এই সংসৰ্গত জিতেন্দ্ৰিয় বুলি স্বীকাৰ কৰিছে।

(ছ) গোপিনীবৰ্গৰ কৃষ্ণানুৰাগ অতি নিৰ্ম্মল আৰু নিস্পৃহ; সিবিলাকে শ্ৰীকৃষ্ণৰ অনুৰাগবাঞ্ছিত হঁাহি,

উৎকলীকৃত হৈ উমলি ফুৰিছিল, সমনীয়া গোপিনী-ছোৱালীবিলাকৰে সৈতেও সেইদৰে উমলিবৰ দিহা লগাই লৈছিল। দিনত গৰু চৰাওঁতে গৰখীয়া ল'ৰাৰ লগত, আৰু শৰত কালৰ জোনাক ৰাতি যমুনাপাৰত বৃন্দাবনৰ বিকশিত মল্লিকাৰে সুশোভিত নিকুঞ্জৰ মাজত গোপিনী-ছোৱালীৰে সৈতে উমলিবলৈ শ্ৰীকৃষ্ণই নিয়ম লগাই লৈছিল।[১]

ছোৱালীহঁতৰ লগত ওমলোঁতে শ্ৰীকৃষ্ণই সততে ৰসোদ্দীপক 'ৰাস'-ধেমালি পাতিছিল। হাতে-হাতে ধৰাধৰিকৈ মৰল পাতি পেঁপা, বাঁহী, বেণু, মুৰুলীৰ সুৰে-সুৰে সুৰ-মিলাই গীত গাই ঘূৰি-ঘূৰি নচাকে 'ৰাস' বোলে। জোনাক ৰাতি নিতৌ বৃন্দাবনত ৰাস-ধেমালি হয়। সন্ধিয়াৰ পাচত নিজম পৰিলেই ৰাম-কৃষ্ণ যমুনাৰ পাৰলৈ ওলাই যায়। তাৰপৰা পোনেই ৰামশিঙ্গা বাজি উঠে; তাৰ পচত কৃষ্ণ-বেণু বাজিবলৈ ধৰে। ৰাম-শিঙ্গাই জাননী দিয়ে, কৃষ্ণ-বেণুৱে আহ্বান কৰে। সেই জাননীৰ ৰিং আৰু আহ্বানৰ বুলি কাণত পৰা মাত্ৰকে গাত উলাহ লাগি গোপিনী-ছোৱালীবিলাক ঘৰৰপৰা উধাতুখাই ওলাই আহি কোনোৱে বা বেণুৰ সুৰ মিলাই গীত গায়, কোনোৱে বা তাৰ চেৱে-চেৱে নাচোন ধৰে, কোনোৱে বা উৎকলীকৃত হৈ 'কৃষ্ণ' 'কৃষ্ণ' বুলি বেণুৰ সুৰে-সুৰে কৃষ্ণক ধিয়াই ঢাপলি ধৰে। সেই অনুক্ৰমে যেতিয়া সকলোটি গৈ সমবেত হৈ উঠে, তেতিয়া যমুনাৰ পাৰে-পাৰে নিকুঞ্জৰ মাজে-মাজে ৰাম-কৃষ্ণই গোপিনী-ছোৱলীবিলাকৰে সৈতে ৰাতি-দুপৰলৈকে মনোময় ৰাসলীলা পাতে। ৰাসলীলাত যোগ দিবলৈ গোটখোৱা গোপিনী-ছোৱালী প্ৰত্যেকেই কৃষ্ণৰ হাতত ধৰি ৰাসৰ মৰল পাতিবলৈ হেঁপাহ কৰে। দুজনীক দুফালে দুখন হাত মেলি ধৰিবলৈ দিলে আন-বিলাকে মন আমোলাই পেলায়।[২] গতিকে, সততে শ্ৰীকৃষ্ণই মৰলৰ মাজত সোমাই বেণুত গীত আৰু গৎ বজায়, ছোৱালীহঁতে আনন্দত উধাও হৈ তাকে দোহাৰি-দোহাৰি গায়, আৰু গটৰ চেৱে-চেৱে নাচোন ধৰে।

এই নিয়মে প্ৰতি শুক্লপক্ষত ৰাসলীলা হবলৈ ধৰিলে। সেই ৰাস প্ৰতি নিশা দুই প্ৰহৰকৈ শুক্লাপঞ্চমীৰপৰা আৰম্ভ হয়, আৰু পূৰ্ণিমাত তাৰ সামৰণ পৰে। সেই লীলা-খেলাত গোপিনী-ছোৱালীবিলাকৰ ইমান ৰাপ বহিছিল যে, পাচলৈ শুক্লপক্ষ সোমালেই সিবিলাকৰ গাত উলাহ লগা হয়; আৰু পঞ্চমীৰপৰা নিজম পৰত ৰামশিঙ্গা আৰু কৃষ্ণবেণু বজা শুনিলেই ছোৱালীবিলাকে উত্ৰাৱল হৈ লৰি গৈ ৰাম-কৃষ্ণৰ লগ ধৰেগৈ। আৰু, সেই ৰাপ ক্ৰমাৎ এনেভাৱে বিয়পিবলৈ ধৰিলে যে, পাচলৈ গৃহিণী-গোপিনীবিলাকেও আপোন-পাহৰা হৈ ৰাসলীলাত যোগ দিয়াগৈ হল। আন্ কি, কৃষ্ণবেণুৰ সুৰ আহি কাণত পৰা মাত্ৰকে গোপিনী-সকলে হাতৰ বন-বাৰী পেলাই উত্ৰাৱল হৈ ৰাসলীলালৈ ঢাপলি ধৰে। এনে কি, কোনো কোনো আই-গোপিনীয়ে বুকুৰ কেঁচুৱা আৰু পাটীৰ পতি পাটীত এৰি উত্ৰাৱল হৈ ৰাসৰ মৰলত সোমায়গৈ।[৩]

ৰাসত বলৰামে প্ৰায়ে যোগ নিদিয়ে, তেওঁ সততে

বিনোদন আৰু অমায়িক লীলা অৱলোকনত নিজক এনে ধন্যা আৰু সন্মানিতা যেন অনুভৱ কৰিছিল যে, তেওঁৰ প্ৰতি সুকৰুণ চকুৰে চাই যাওঁতেই তদ্গতচিত্ত হৈ নিজৰ গৃহস্থালী ধৰ্ম্ম-কৰ্ম্মলৈ পাহৰি যায়! যেনে,—

যস্যানুৰাগপ্লু তহাসৰাসলীলাবলোক প্ৰতিলব্ধমানাঃ।
ব্ৰজস্ত্ৰিয়ো দৃগ্‌ভিৰনুপ্ৰবৃত্তধিয়োঽৱতস্থঃ কিল কৃত্যশেষাঃ॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, প্ৰথম আধ্যা, ১৪ শ্লোক।

(১) ভগবানপি তা ৰাত্ৰীঃ শৰদোৎফুল্লমল্লিকাঃ।
বীক্ষ্য ৰন্তুং মনশ্চক্ৰে যোগমায়ামুপাশ্ৰিতঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৯ আধ্যা, ১ম শ্লোক।

অৰ্থ,—শৰত কালৰ প্ৰফুল্ল মল্লিকাৰ শোভাৰে সুশোভিত জোনাক ৰাতি উলাহিত হৈ ভগবান শ্ৰীকৃষ্ণই যোগমায়া সমন্বিতে বৃন্দাবন বিহাৰ কৰিবলৈ বাসনা কৰিলে। যথাঠাইত ওপৰত উল্লেকিয়াই অহা যোগমায়া এওঁৱেই। এওঁৱেই যশোদাৰ গৰ্ভজাত কন্যা, দৈৱকীৰ অষ্টম গৰ্ভজাত পুত্ৰৰ লগত সলনি হৈছিল। এওঁ গোপনে বৃন্দাবনত প্ৰতিপালিত হোৱা বিষয়ক সন্তেদো যথাস্থানত দি অহা হৈছে।

(২) বিষ্ণুপুৰাণ, পঞ্চমখণ্ড, ১৩ আধ্যা, ১৪-১৯ শ্লোক।

(৩) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৯ আধ্যা। এই প্ৰসঙ্গত শ্ৰীকৃষ্ণই গোপিনীবৰ্গক পতিপৰায়ণতা বিষয়ক নীতিগৰ্ভ উপদেশ প্ৰদান কৰিছে।

ৰাসৰ মৰলৰ বাহিৰত থাকে। তাৰ অৰ্থ আৰু উদ্দেশ্য এই যে, ৰাম আৰু কৃষ্ণ দুয়ো ককাই-ভাই ৰাসলীলাত মগ্ন হলে, সিবিলাকৰ গা-ৰখীয়া হবলৈ আন কেওঁ নাইকিয়া হয়। লগৰ লগৰীয়া ল'ৰা বুলিবলৈ কেৱল সিবিলাক দুজন হে, বাকী আটাইবিলাক ছোৱালী আৰু গৃহিণী-গোপিনী। তাতে ৰাতিৰ কাল। বনৰ মাজত লীলা খেলাত মগ্ন থাকোঁতে কেতিয়াবা কোনো বনৰীয়া জন্তুৱে আহি অমঙ্গল ঘটাবহি পাৰে। সেই কাৰণে, ৰাসৰ সময়ত সিবিলাক দুজনৰ এজনে বাকীবিলাকৰ গা-ৰখীয়া হৈ পহৰা দি থাকে। পিচে, প্ৰকৃতপক্ষে ৰামৰ গাত হে সেই ভাৰ সততে ন্যস্ত থাকে; কিয়নো, গীত, বাদন, নাচোনৰ ওজা শ্ৰীকৃষ্ণ ৰাস-মৰলৰ মাজত নহলে নহয়।

দ্বিতীয় ছেদ

অৰিষ্টাসুৰ বধ*

এদিন সঁচাসঁচিকৈয়ে ৰাস-লীলাৰ বিঘ্ন উৎপাদক এটা মহা আপদ মিলিছিল। সেই ৰাতি ৰাস-ক্ৰীড়াৰ সময়ত ক'ৰবাৰপৰা অকস্মাৎ এটা দৈত্য যেন গল্‌ধন্ ধৰা বনৰীয়া মেঠোন বৃন্দাবনত সোমাই হাবি-বন ভাঙ্গি ৰাস-মৰলৰ ফালে চঁক্ ধৰি খেদি আহিল। অসুৰ যেন সেই ভীষণ জন্তুটোৰ ভাঁজ-ভঙ্গী দেখি ৰাস-ধেমালি ভাগিবৰ উপক্ৰম হল, আটাইবিলাক ভয়ত ত্ৰাহি-ত্ৰাহি হৈ পলাবলৈ উদ্যত হল, গোপিনীসকলে 'কৃষ্ণ' 'কৃষ্ণ' বুলি আৰ্ত্তৰাৱ কাঢ়িবলৈ ধৰিলে। এনেতে, শ্ৰীকৃষ্ণই কেইখোজমান আগ বাঢ়ি গৈ সেই মতলীয়া মেঠোনটোক ফেৰ পাতি ধৰিলেগৈ। মেঠোনে নাক-ফোঁপনি মাৰি শিং জোকাৰি একেচোচাই আহি কৃষ্ণৰ গা চাপিলেহি। সেই মেঠোনটো এঙাৰ যেন ক'লা, ক'লাভাৰৰ সদৃশ্ ভয়ঙ্কৰ তাৰ শিংযোৰ কঁত্‌কৰা কাঁইট্‌যেন জোঙা, চকুযোৰ জুইযেন ৰঙা, খুৰাবোৰ খুৰ্‌যেন চোকা। সি তাৰ খেলা জিভাচটাৰে সৈতে সঘনে নাকৰ বিন্ধা চেলেকি চেলেকি নেগুৰডাল লৰ্‌ফৰাই নাক-ফোঁপনি মাৰি খেদি আহি কৃষ্ণৰে সৈতে থুম্ মাৰিবলৈ ফেৰ পাতি ধৰিলেহি। পিচে, লাচত পাকৈত মহা বাহুবলী অদ্ভুত ল'ৰাই লাচতে মেঠোনৰ গল্‌ধনৰ ওপৰলৈ উঠি বহি দুই পাৱেৰে তাৰ কাণসটাত খোপনি পিটি লৈ, দুহাতে দুই শিঙ্গত ধৰি জোকাৰি জোকাৰি, এপাকত তাৰ ডিঙ্গি পাক লোৱাই তাক মাটিত পেলাই হেচি ধৰিলে, আৰু তাৰ বাওঁ শিঙ্গৰ ছোলা উভালি লৈ তাৰেসৈতে তাৰ ঠোঁতৰাত কোবাই, শ্ৰীকৃষ্ণই সেই অসুৰ যেন মেঠোনটো তাতে হেলাৰঙ্গে বধ কৰিলে। ইয়াকে 'অৰিষ্টাসুৰ বধ' বোলে।

তৃতীয় ছেদ

ৰাস-পূৰ্ণিমা†

শৰৎ ঋতুৰ ভৰপক[১]।—কাতি মাহৰ ফট্‌ফটীয়া পূৰ্ণিমা ৰাতি। মনোময় বৃন্দাবনৰ গুটিলগা গছ, পাতধৰা লতা, ফুলমেলা কুঞ্জবন, শ্যাম বৰণীয়া তমাল, সেউজীয়া বকুল, সুগন্ধি শেৱালি, ফুলাম কদম, ঘনশ্যাম দুবৰি ইত্যাদিৰ ওপৰত পৰা পূৰ্ণিমা-জোনৰ নিৰ্ম্মল পোহৰে এটা

* (ক) বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, ১৮ আধ্যা।
(খ) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৬ আধ্যা।
(১) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৭৭ আধ্যা।
† (ক) বিষ্ণুপুৰাণ, ৫ পঞ্চম খণ্ড, ১৩—১৭ আধ্যা।
(খ) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৭৬—৭৭ আধ্যা।
(গ) শ্ৰীমদ্ভাগৱত দশম স্কন্ধ, ২৯—৩৩ আধ্যা।

টীকাকাৰ পণ্ডিৎসকলে ভাগৱতৰ ৰাসলীলা বৰ্ণনা বাহুল্য বুলিছে যদিও, তাৰ সেই কেইআধ্যাৰ কবিত্বৰ মোহ এৰিবলৈ সত নাযায়। গতিকে, ভাগৱতৰ 'ৰাসপঞ্চাধ্যায়'ৰ আভাস এই পুথিৰ ৰাসলীলা বৰ্ণনাত পগাই ঘন কৰি দিয়া হৈছে; অৱশ্যে, তাৰ প্ৰক্ষীপ্ত ভাগ বাছি আঁতৰ কৰি থৈ, প্ৰকৃত কৃষ্ণ-বুৰঞ্জীত ঠাই পাবলগীয়া খিনিহে এই পুথিৰ বুকুত নিক্ষিপ্ত কৰা হৈছে।

(১) শৰচ্ছশিকৰৈৰ্ম্মৃষ্টং মানয়ন্ ৰজনীমুখং।
গায়ন্ কলপদং ৰেমে স্ত্ৰীনাং মণ্ডলমণ্ডনঃ॥
—শ্ৰীমদ্ভাগৱত, ৩য় স্কন্ধ, ২য় আধ্যা, ৩৪শ শ্লোক।

অৰ্থাৎ, শৰতকালৰ পূৰ্ণিমা জোনৰ জ্যোতিত শেহনিশা অতি জুৰ আৰু শাঁত যেন অনুভৱ কৰি, শ্ৰীকৃষ্ণই সততে ৰস-লগা গীত গাই আৰু গা-তোলা বাঁহী বজাই গোপিনী-বৰ্গৰ মৰলৰ মাজত সোমাই লৈ ৰাসলীলা পাতিছিল।

অনিৰ্ব্বচনীয় স্নিগ্ধ শোভা ফট্ফটীয়াকৈ তুলিছে; চিৰনিৰ্ম্মল যমুনাই বুকুত পূৰ্ণচন্দ্ৰক ইঁহুৰাই নচুৱাই শান্তিময় সুৰেৰে কুল্-কুল্কৈ বৈ গৈছে; প্ৰাণজুৰোৱা সুধীৰ সুশীতল মলয়াই সুগন্ধি পদুমফুলৰ সৌৰভ ৰিব্ৰিব্কৈ বৈ আনি গোটেই বৃন্দাবন গোন্ধত আমোলমোল কৰিছে; এনে স্নিগ্ধ শোভা-মণ্ডলৰ মাজত প্ৰকৃতিৰ সমপূৰণ সমলেৰে সুসজ্জিত ৰাসমঞ্চ কেন্দ্ৰৰূপে শোভিছে। এনে ৰম্যস্থলত, এনে সুসময়ত, এনে স্নিগ্ধ সৌন্দৰ্য্যৰ সম্মিলনত নীলাম্বৰ আৰু পীতাম্বৰ ৰাম আৰু কৃষ্ণ বিতোপন সাজেৰে সাজি আহি ৰাস-মণ্ডপৰ নিকুঞ্জ-দুৱাৰত উপস্থিত হলহি; উল্লিখিত শোভা-সৌন্দৰ্য্যৰ সম্মিলিত জেউতিয়ে ততালিকে মণ্ডপৰ দুৱাৰত আবিৰ্ভাব হোৱা সেই ৰাম কৃষ্ণত কেন্দ্ৰৰূপে থিত্ দিলে,—সোণত সুৱগা যেন হৈ সেই শোভাই-সৌন্দৰ্য্যে মিলি পৰিল, বৃন্দাবনত অমৰাৱতীৰ শোভা প্ৰতিভাত হল!

যথাসময়ত ৰাম-শিঙাৰ ঘোষণা উৰিল; লগে লগে অনুগামী কৃষ্ণবেণুৰ আহ্বান চৌদিশে বিয়পি পৰিল। শ্ৰীকৃষ্ণই এটিৰ পাচত আনটিকৈ চেও সলাই সুৰ সলাই নাৰীৰ মনমোহা বছা বছা গট্-গীত ফুটাই মোহন বেণু বজাবলৈ ধৰিলে, আৰু ইজুমৰ পাচত সিজুমকৈ পোন্-প্ৰথমে গোপিনী-কন্যাবিলাক নাচি-গাই জুমে জুমে চাপি সাজু হলহি। তাৰ পাচত, এটিৰ পাচত আনটিকৈ গোপিনী গৃহিণীসকল উত্ৰাৱল খোজেৰে আহি ৰাসমঞ্চ ভৰি পৰিলহি [১]। যথাক্ষণত, সন্মিলন সম্পূৰ্ণাঙ্গ হলত, পুনৰপি ৰাম-শিঙাৰ অনুজ্ঞা বাজি উঠিল;—বেণুধৰক কেন্দ্ৰ কৰি মৰল পাতি লৈ গোপিনীসকলে মনমোহা নাচোন ধৰিলে, আৰু হৃদয়গ্ৰাহী গীত গাই সেই পোন্-প্ৰথম ৰাসোৎসৱ উপলক্ষীয় লীলা-খেলা মহা আড়ম্বৰেৰে আৰম্ভ কৰি দিলে।

শ্ৰীকৃষ্ণই বেণু থৈ মুৰুলীত ধৰে, মুৰুলী এৰি পেঁপাত ধৰে; পেঁপা পেলাই বাঁহী লয়, বাঁহী সলাই লাউ-বাঁহী বজায়। এই অনুক্ৰমে ৰমণীৰ মনমোহা ভিন্-ভিন্ বাজনা বজাবলৈ ধৰিলে, আৰু তাৰ চেৰে-চেৰে মৰল-পতা গোপিনীবৰ্গে ঘূৰি ঘূৰি নাচিবলৈ লাগিলে। নাচোঁতে নাচোঁতে গোপিনীবৰ্গে ৰাগত বিভোল হৈ, কোনোৱে বা পিঠিত বুকু টিপি বেণুধৰক সাবটি ধৰে, কৃষ্ণই হিয়াবুকুৰ ওপৰেদি হাত নি বেণু বুলায়; কোনোৱে বা মুৰুলীধৰৰ মূৰত আপোনাৰ কণ্ঠৰ মালাধাৰি পিন্ধাই দি তন্ময় হৈ চাই ৰয়; কোনোৱে বা পেঁপাধাৰী কৃষ্ণৰ কপালৰ বৈ অহা ঘাম-পানী সোঁতা ক মচি দি তৃপ্তি লভে; কোনোৱে বা

(১) ৰাসোৎসৱৰ আৰম্ভণতে গোপগৃহিণীসকলক নিজ নিজ ঘৰলৈ উলটি যাবলৈ শ্ৰীকৃষ্ণই বাৰম্বাৰ অনুৰোধ কৰে, আৰু সেই ছেগতে আজন্ম ধৰ্ম্মনীতিজ্ঞ নাবালক শ্ৰীকৃষ্ণই সিবিলাকক গোটাদিয়েক গৃহধৰ্ম্মৰ সাৰুৱা উপদেশ দান কৰে। যেনে,—

(ক) ৰজন্যেষা ঘোৰৰূপা ঘোৰ-সত্ত্ব-নিষেবিতা।
প্ৰতিযাত ব্ৰজং নেহ স্থেয়ং স্ত্ৰীভিঃ সুমধ্যমাঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৯ আধ্যা (ৰাসপঞ্চাধ্যায়, ১ম আধ্যা) ১৮শ শ্লোক।

অৰ্থ:—এতিয়া ৰাতিৰ কাল, ভয়ঙ্কৰ সময়; হিংস্ৰ জন্তুবোৰ ইফালে-সিফালে ঘূৰিব লাগিছে। হে সুন্দৰীগণ! এনে সময়ত নাৰীজাতি ইয়াত থকা বাঞ্ছনীয় নহয়। এতেকে, তোমালোক ঘৰলৈ উলটি যোৱাঁগৈ।

(খ) তদ্যাত মা চিৰং ঘোষং শুশ্ৰূষধ্বং পতীন্ সতীঃ।
ক্ৰন্দন্তি বৎসা বালাশ্চ তান্ পায়য়ত দুহ্যত॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৯ আধ্যা, (ৰাসপঞ্চাধ্যায়, ১ম আধ্যা) ২১শ শ্লোক।

অৰ্থ:—এতেকে, হে সাধ্বীসকল! তোমালোকে অনতিপলমে ঘৰলৈ উলটি যোৱাঁগৈ; আপোন-আপোন পতিৰ সেৱা কৰাঁগৈ। তোমালোকৰ ল'ৰা-ছোৱালী আৰু দমৰা-দামুৰিবোৰে কান্দিছে চাগৈ, ঘৰলৈ গৈ, গাই খীৰাই শিশু সন্তানক গাখীৰ খুউৱাঁগৈ।

(গ) ভৰ্ত্তুঃ শুশ্ৰূষণং স্ত্ৰীণাং পৰোধৰ্ম্ম হ্যমায়য়া।
তদ্বন্ধুনাঞ্চ কল্যাণঃ প্ৰজানাংচানুপোষণং॥
দুঃশীলো দুৰ্ভগো বৃদ্ধো জড়ো ৰোগাধনোঽপি বা।
পতিঃ স্ত্ৰীভিৰ্ণ হাতব্যো লোকেপ্সুভিৰপাতকী॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৯ আধ্যা, ২৩ শ্লোক।

অৰ্থ:—হে কল্যাণীগণ! আপোনাৰ পতি আৰু পতি-বান্ধৱসকলৰ সেৱা আৰু সন্তান-সন্ততিৰ আপডালেই নাৰী-জাতিৰ পৰম ধৰ্ম্ম। যি সকল মহিলাই ইহ-পৰকালৰ সুখ-সম্ভোগ বাঞ্ছা কৰে, সিসকলৰ আপোনাৰ পতি বুঢ়া, ৰোগী, অসমৰ্থ, দুৰ্ভগীয়া, দৰিদ্ৰ আৰু দুশ্চৰিত্ৰ হলেও, যদি পাতকী নহয়, তেন্তে কাচিতো পৰিত্যজ্য, নহয়।

বংশীবদনৰ মদনাননত চুমাকে এটি দি স্বৰ্গ চুকি পায়! এইভাৱে গোপিনীসকলে ৰাসেশ্বৰক নিজ নিজ অনুৰাগ বুজায়। তাৰ সমিধানত ৰসাধাৰ প্ৰেমাৱতাৰ কৃষ্ণপুৰুষে সেই প্ৰকৃতিপ্ৰেমত পমি গৈ বাওঁহাতেৰে বেণু বুলাই সোঁ-হাতৰ আলিঙ্গনেৰে সিবিলাকক প্ৰেম-প্ৰতিদান দিয়ে। তাৰ পাচত, অতৃপ্ত বাসনাৰ এনে নাচোন-লীলা এৰি, সঙ্গীত প্ৰতিভাৰ আধাৰ গীতিকণ্ঠ কৃষ্ণই নাৰীহৃদয়স্পৰ্শী বছা বছা মধুৰ গীত গাই লগাই দিয়ে, গোপিনীসকলে বৃন্দাবন প্ৰতিধ্বনিত কৰি জাঁত-জাঁতকৈ গাবলৈ ধৰে;—গাই গাই গীতৰ গূঢ়াৰ্থত মজি গোপিনীসকল তন্ময় হৈ বিচক্ষণীয়া গায়ক গীতিকণ্ঠৰ পাৱত ঢলি ঢলি পৰে। গাই গাই গাই কেতিয়াবা হাত-ধৰা-ধৰিকৈ, কেতিয়াবা ভিঙ্গি-ধৰাধৰিকৈ, কেতিয়াবা বা প্ৰকৃতি-পুৰুষৰ যুগল মূৰ্ত্তিৰূপে প্ৰেমোন্মত্ত গোপী-কৃষ্ণ আপোন-পাহৰা হৈ নাচি উঠে,—চেৰে চেৰে ৰুনুক-ঝুনুক নেপুৰ বাজি গায়ক-গায়িকাৰ গা-মন উলাহত উৰুলীকৃত কৰে। যি গোপিনীয়ে প্ৰেমিক কৃষ্ণৰ এটি আলিঙ্গন পায়, তেওঁ ভাৱে তেওঁতপৰ আৰু প্ৰেমিকা নাই! যি গোপিনীয়ে নায়ক কৃষ্ণৰ কৰস্পৰ্শ লাভ কৰি এখোজ আগুৱাবলৈ পায়, তেওঁ ভাবে তেওঁতপৰ আৰু নায়িকা নাই! যি গোপিকাই বঙ্কিম কৃষ্ণৰ পিঠিত বুকু টিপি যুগলমূৰ্ত্তি ধাৰণ কৰিবলৈ পায়, তেওঁ ভাবে কৃষ্ণ স্বয়ং বৈকুণ্ঠৰ মহালক্ষ্মী যোগমায়া! যি গোপিকাই পীতাম্বৰ কৃষ্ণৰ বাঁৱে নীলাম্বৰী হৈ এহাতে ওৰণি ভিৰাই থিয় দিবলৈ পায়, তেওঁ ভাবে তেৱেঁই হে বৃন্দাবনৰ শ্ৰীৰাধিকা [১]! প্ৰেমৰ পুতলি কৃষ্ণচন্দ্ৰৰ ককণ হিয়াত কেনেবাকৈ ব্যথা লাগে বুলিহে গোপিনীসকলে অন্তৰৰ আচল ভাব অন্তৰতে ঢাকি থয়, নাইবা সিবিলাকৰ সেই বিশ্বাস কাৰ্য্যত এইদৰেহে বিকশিত হয় যে, শ্ৰীকৃষ্ণ আন নহয়, পৃথিবীত সাক্ষাৎ শ্ৰীবিষ্ণুৰ অৱতাৰ মাথোন। সেই ভাৱেই ব্ৰজৰ সৰলা গোপিনীসকলে বৃন্দাবনৰ শ্ৰীকৃষ্ণক ভজিছিল, সেই ভাৱেই সেই পূৰ্ণিমা ৰাতি ৰাসোন্মত্তা গোপিকাসকল ৰাসেশ্বৰ শ্ৰীকৃষ্ণত মজিছিল। সমনীয়া গোপিকা-ছোৱালীৰ কথাই নাই, বয়সীয়া গৃহিণী-গোপিকাও কৃষ্ণপ্ৰেমত উত্ৰাৱল! কৃষ্ণবেণুৰ আহ্বান শুনা মাত্ৰে গোপিকা-ছোৱালীবোৰে যি দৰে মাক-বাপেক ককাই-ভাইৰ হাক বচন পেলায়ে উত্ৰাৱল হৈ ৰাসমঞ্চত উপস্থিত হয়গৈ, সেইদৰেই বয়সীয়া গৃহিণীসকলেও হাতৰ কাম-বন এৰি আৰু কোলাৰ কেঁচুৱা পেলাই থৈ উধাতু খাই গৈ ৰাসমঞ্চত যোগ দিয়েগৈ [২]।

ওপৰত উনুকিউৱা নিয়মে শ্ৰীকৃষ্ণৰ মোহন বেণু-বাঁহী-

(১) 'ৰাধ্' ধাতুৰ অৰ্থ আৰাধনা। যেয়ে শ্ৰীকৃষ্ণৰ আৰাধিকা, সেয়ে 'ৰাধা' বা 'ৰাধিকা'। গতিকে, কৃষ্ণ-ভক্তা বা কৃষ্ণানুৰক্তা বা কৃষ্ণৰ আৰাধিকা গোপিনী মাত্ৰেই 'ৰাধা' বা 'ৰাধিকা'। অৱশ্যে, বৃন্দাবনৰ কৃষ্ণাৰাধিকা আদৰ্শ স্বৰূপিনী গোপিনী আছিল। তেওঁক কৃষ্ণ-সোহাগিনীৰূপে আনসকল গোপিনীয়ে কৃষ্ণ-আৰাধনাৰ নেত্ৰী মানি লৈছিল।

কিন্তু, ভাগৱতৰ 'ৰাসপঞ্চাধ্যায়'ৰ ক'তো 'ৰাধা' নামৰ উল্লেখ পোৱা নাযায়। বিষ্ণুপুৰাণৰ পঞ্চম খণ্ডতো 'ৰাধা' নামৰ সংস্ৰৱ নাই। হৰিবংশৰ বিষ্ণুপৰ্ব্বতো 'ৰাধা'ৰ অৱতাৰণা নাই। মহাভাৰততো এই সম্পৰ্কীয় কোনো কথা নাই। আছে কেৱল ব্ৰহ্মবৈবৰ্ত্তপুৰাণত, সিও আধুনিক খনত; মূল-ব্ৰহ্মবৈবৰ্ত্তপুৰাণত 'ৰাধাকৃষ্ণ' বিষয়ক বৰ্ণনা আছিল নে নাই, আৰু আছিল যদি কি ভাৱে আছিল, তাৰ সম্ভেদ্ পাবলৈকো নাই। কিয়নো, মূল-ব্ৰহ্মবৈবৰ্ত্ত-পুৰাণ আজিকালি পাবলৈ নাই। আধুনিক ব্ৰহ্মবৈবৰ্ত্তত 'ৰাধা'ৰ অৱতাৰণাত কবি-কল্পনাৰ অতিচাৰ ঘটিছে, আৰু সেই অত্যাচাৰে নিৰ্ম্মল কৈশোৰ কৃষ্ণ-চৰিতত অযথাকৈ আদিৰসৰ চেকা পেলাইছে।

(২) (ক) বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, ১৩—১৫ আধ্যা।

(খ) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৭৭ আধ্যা।

(গ) শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ২য় আধ্যা, ১৪ শ্লোক।

ইয়াৰ কাৰণ কি?—কাৰণ আন একো নহয়, কেৱল ব্ৰজৰ গোপ-গোপিনীৰ কৃষ্ণভক্তিৰ উত্তেজনা। শ্ৰীকৃষ্ণই যি বুলিয়েই চিনাকি দিয়ক লাগে, তেওঁৰ অলৌকিক কাৰ্য্যৰ নিদৰ্শন পাই তেওঁক সিবিলাকে ঈশ্বৰৰ অৱতাৰ বুলি ধুৰুপকৈ মানে; তেওঁক ভক্তি কৰিলে সাক্ষৎ ঈশ্বৰক ভক্তি কৰা বুলি ভাবে।

অতি অসাধাৰণ দৈহিক আৰু মানসিক শক্তিসম্পন্ন অলৌকিক প্ৰতিভাশালী অদ্ভুত মানৱ-সন্তান শ্ৰীকৃষ্ণৰ চিন্তা আৰু কাৰ্য্যৰ ফললৈ লক্ষ্য কৰি ব্ৰজৰ গোপিনীবৰ্গে তেওঁক সাক্ষাৎ ঈশ্বৰাৱতাৰ-ভাবিয়েই তেওঁৰ প্ৰতি ইমান ধাউতি

মুৰুলী-লাউ-বাঁহীত বিবিধ গট-ভঙ্গিৰ চেৰে-চেৰে বিস্তৰ গীত-নাচ হোৱাৰ ওপৰঞ্চি বহুকচীয়া শ্ৰীকৃষ্ণই নানা তৰহৰ

ন-ন ৰং-ধেমালিত গোপিনীসকলক লগাই লৈ নিজে নেতাৰ কাৰ্য্যত নিয়োজিত হল। শেহান্তৰত, গোপিনীমোহনে

ৰাখিছিল, আৰু সেই ভাব প্ৰকাশ কৰিবলৈকো বাকী নথৈছিল। যেনে,—

(ক) জয়তি তেঽধিকং জন্মনা ব্ৰজঃ শ্ৰয়ত ইন্দিৰা শশ্বদত্ৰ হি।

দয়িত দৃশ্যতাং দিক্ষু তাবকাস্ত্বয়ি ধৃতাসবস্তাং বিচিন্বতে॥

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩১ আধ্যা (ৰাসপঞ্চাধ্যায়, তৃতীয় আধ্যা) ১ম শ্লোক।

অৰ্থ :—হে কৃষ্ণ! তুমি ইয়াত জন্মিছাঁ কাৰণেই ব্ৰজভূমি সদৌ পুণ্যভূমিৰ শীৰ্ষস্থানীয় হৈছে ; সেই কাৰণেই সৌন্দৰ্য্য আৰু সম্পদস্বৰূপে মহালক্ষ্মীয়ে ইয়াত স্থিতি কৰিছে। হে প্ৰিয়তম, তোমাৰেই গোপিনীবৰ্গে তোমাৰ নিমিত্তেই প্ৰাণ ধৰি তোমাকেই বিচাৰিছে, এবাৰ মুখলৈ চোৱাঁ।

(খ) বিষজলাপ্যয়াদ্ব্যালৰাক্ষসাদ্বৰ্ষমাৰুতাদ্-বৈদ্যুতানলাৎ।

বৃষময়াত্মজাদ্বিশ্বতো ভয়াদৃষভ তে বয়ং ৰক্ষিতা মুহুঃ॥

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩১ আধ্যা (ৰাসপঞ্চাধ্যায় ৩য় আধ্যা) ৩য় শ্লোক।

অৰ্থ :—হে পৰমপুৰুষ! তুমি কালিয়ৰ বিষময় জলৰ-পৰা, সৰ্পহেন অঘাসুৰৰপৰা, ইন্দ্ৰৰ বায়ু-বৰ্ষা-বজ্ৰপাতৰপৰা বৃষৰূপী অৰিষ্টৰপৰা, ময়পুত্ৰ ব্যোমাসুৰৰপৰা, ইয়াত বাজেও শত-সহস্ৰ ভয়ৰপৰা আমাক ৰক্ষা কৰিছাঁ।

নহলে নো পালিতা মাতৃ যশোদাৰ সমনীয়া গোপিকায়ো কৃষ্ণ-প্ৰেমত উন্মাদিনীৰ নিচিনা হৈ ৰাসমঞ্চলৈ ঢাপলি ধৰে নে? নহলে নো এঘাৰ বছৰীয়া কৃষ্ণ কুমাৰৰে সৈতে একাৰন বছৰীয়া গৃহিণী-গোপিকাই বৃন্দাবনৰ 'ৰাধিকা' হৈ যোৱা পাতিবলৈ ধাউতি মেলে নে? আৰু, নহলে নো বৃন্দাবনৰ ৰাসমঞ্চত সাক্ষাৎস্বৰূপে 'যত ৰাধা তত কৃষ্ণ', 'যত গোপিকা তত ৰাধিকা'ৰ আবিৰ্ভাব ক'ৰ-পৰা হব? সৰল গোপ-গোপিনীৰ সেই আধ্যাত্মিক ধাৰণা শ্ৰীকৃষ্ণৰ দ্বাৰাই স্বীকৃত নহলেও, অত সত্যতাৰ সঁচ নোহোৱা নহয়। কিয়নো, মানৱাত্মা পৰমাত্মাৰেই আংশিক বিকাশ মাথোন ; যি মানৱাত্মাত সেই পৰমাত্মাৰ প্ৰকৃতি যিমান বিশালকৈ বিকাশ পায়, তাত সিমান প্ৰচুৰকৈ ঈশ্বৰত্ব আৰোপ কৰা যায়। শ্ৰীকৃষ্ণচৰিত্ৰ সেই যুক্তিৰ অতীত নহয়।

যেনে,—ন খলু গোপিকানন্দনো ভবানখিল-দেহিনামন্তৰাত্মদৃক্।

বিখনসাৰ্থিতো বিশ্বগুপ্তয়ে সখে উদেয়িবান্ সাত্বতাং কুলে॥

—শ্ৰীমদ্ভাগৱত, দশমস্কন্ধ, ৩১ আধ্যা (ৰাসপঞ্চাধ্যায়, ৩য় আধ্যা) ৪ৰ্থ শ্লোক।

অৰ্থ :—হে সখি! তুমি নিশ্চয় গোপ-নাৰীৰ পুত্ৰ নোহোৱাঁ। তুমি সমস্ত জীৱাত্মাৰ অন্তৰ্য্যামী পৰমাত্মা ; সৃষ্টিকৰ্ত্তা ব্ৰহ্মাৰ প্ৰাৰ্থনাত মাথোন যদুকুলৰ বৃষ্ণিবংশত জন্মগ্ৰহণ কৰিছা।

ব্ৰজৰ গোপ-গোপিনী আৰু বৃন্দাবনবাসীৰ ধুৰুপ বিশ্বাস যে, কৃষ্ণ বিষ্ণুৰ অৱতাৰ। এইটোও সিবিলাকৰ বিশ্বাস যে, বৃন্দাবনত ৰাধা-কৃষ্ণৰ ৰাসমঞ্চ গোলোকৰ লক্ষ্মী-নাৰায়ণৰ ৰাসমঞ্চৰ প্ৰতিবিম্ব মাথোন। গোপিনীসকলে স্বৰূপতে শ্ৰীকৃষ্ণক বৈকুণ্ঠৰ লক্ষ্মীপতি শ্ৰীকৃষ্ণ বুলি হৃদয়ত গভীৰ ভাব লৈ হে তেওঁৰ প্ৰতি অমায়িকভাৱে আসক্তি ৰাখিছিল। যেনে,—

প্ৰণতদেহিনাং পাপকৰ্ষণং তৃণচৰানুগং শ্ৰীনিকেতনম্।

ফণিফণাৰ্পিতং তে পদাম্বুজং কৃণু কুচেষু নঃ কৃন্ধি হৃচ্ছয়ম্।

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ ৩১ আধ্যা, (ৰাসপঞ্চাধ্যায়, ৩য় আধ্যা) ৭ম শ্লোক।

অৰ্থ:—হে কৃষ্ণ! তোমাৰ যি চৰণে প্ৰণতজনৰ পাপ নাশ কৰে, যি চৰণে গৰখীয়া হৈ বিচৰণ কৰে, যি চৰণত মহালক্ষ্মীৰ স্থিতি, যি চৰণ নাগৰাজ কালিয়ৰ শিৰত অৰ্পিত হৈছিল, সেই চৰণ-কমল আমাসৰৰ স্তনৰ ওপৰত অৰ্পণ কৰি অন্তৰৰ কামভাব নাশ কৰি দিয়াঁ।

এনেই তো শ্ৰীকৃষ্ণ ১১ বছৰীয়া শিশু, তাতে কৃষ্ণ-অনুৰক্তা গোপিনীসৰৰ এনে সৰল অমায়িক আৰু ঐশ্বৰিক ভাব! ইমানতো যি শ্ৰীকৃষ্ণৰ ৰাসলীলালৈ অশুচি ভাৱে চায়, তেওঁৰ অন্তৰেই হে অশুচি, তেওঁৰ চিত্তশুদ্ধি বাঞ্ছা কৰাও বৃথা! গোপীসৰৰ মতে গোলোকৰ আৰ্হিৰে শ্ৰীকৃষ্ণই মৰ্ত্ত্যৰ বৃন্দাবনত ৰাসমঞ্চ পাতি নায়ক হৈছে যেতিয়া, তাৰ অৰঙ্গে নায়িকাও আছে বা থাকিব লাগে। বিশেষ, 'ৰাধা' সংযোগে 'শ্ৰীকৃষ্ণ', 'ৰাধা'-বিয়োগে অকল 'কৃষ্ণ' হে, তাত 'শ্ৰী' নাথাকে। এতেকে, গোলোকাৰ আৰ্হিৰে গোকুলৰ শ্ৰীকৃষ্ণই অৱতাৰণা কৰা ৰাস কদাপি ৰাধাশূন্য হব নোৱাৰে। এই সৰল বিশ্বাসত মজি, ব্ৰজৰ গোপিনীসকলে সিবিলাকৰ ভিতৰত বৃন্দাবনত 'ৰাধা' অন্বেষণ কৰিবলৈ

গোপালে তেওঁৰ অতি প্ৰিয়কাৰ্য্য গৰখীয়া-ধেমালিত ধৰিলে। সেই প্ৰসঙ্গত তেওঁ ৰাসমঞ্চৰ গোপিনীসকলক পাচনী-খেলত[1] নিয়োজিত কৰিলে। এই খেলত যোৰা-যোৰাকৈ অৰিয়া-অৰি চলে[2]। শ্ৰীকৃষ্ণৰে সৈতে যোৰা-যোৰাকৈ গোপিনীসকলৰ ভিতৰত আটাইৰে একোপালি খেল পাৰ হৈ যোৱাৰ পাচত, সেই ৰাতিৰ ৰাসৰ 'ৰাধিকা'ৰ পাল পৰিল। পিচে, অৰিয়া-অৰিত ৰাধিকা জিকিল, কৃষ্ণ হাৰিল। এই কথাত ৰাসমঞ্চৰ সমবেত গোপিনীবৰ্গে আনন্দৰ কিৰিলিত বৃন্দাবন প্ৰতিধ্বনিত কৰিলে। কিয়নো, গৰখীয়া-ধেমালিৰ নিয়ম অনুসৰি জিকা-ঢালৰ গৰাকীয়ে বোকোচাত বা কানত উঠিবলৈ পায়। এতেকে, সেই নিয়মে এতিয়া ৰাধিকা কৃষ্ণৰ কানত উঠিবলগীয়া হল! সেই হে গোপিনীসকলৰ হাঁহি-কিৰিলি সিমানকৈ উধাইছিল। সেইবাবে ৰাধিকা লাজত মূছ্‌কছ্‌ গল, আৰু কৃষ্ণই উপস্থিত বিষম বিপদত কি কৰা যায়, তলমূৰকৈ গুণিবলৈ ধৰিলে। আনকি, কদমৰ তলত আওহতীয়াকৈ থিয় দি থকা ৰামশিঙ্গাধাৰী ম্লগহীন বলৰামেও উপস্থিত সমস্যালৈ মন কৰি মিচিক্‌-মিচিক্‌কৈ হাঁহিবলৈ ধৰিলে। কিন্তু, গুণিলে কি হব? চাপৰিলে মেঘ নেৰায়! ধেমালিৰ বন্ধা নিয়ম অনুসৰি বাধ্য হৈ শ্ৰীকৃষ্ণই কান পাতি দিলেহি! ৰাধিকা কৃষ্ণৰ কানত বাধ্য হৈ উঠিব লগা হল! গতিকে, অগত্যা চকুআঁখি মুদি আগ বাঢ়ি গৈ ৰাধিকাই কৃষ্ণৰ কানত উঠিবলৈ বুলি এটি পাৱ দাঙ্গিছে, এনেতে মূৰ-পোলকা দি কৃষ্ণ লাচতে লুকাল[3]। বিস্ময় উদ্দীপক আনন্দত উধাও হৈ গোপিনীবৰ্গে মুখত সোপা লৈ লৈ ওপৰলৈ চাই হাঁহি-কিৰিলি মাৰি থকাতে থাকিল; কলিয়া কানু থিতাতে কলৈ পলাল কেৱে ততকে ধৰিব নোৱাৰিলে!

হেৰাল যি হেৰালেই, কৃষ্ণাইক বিচাৰি পোৱা টান হল। ৰাসমঞ্চৰ চৌপাশে ঘূৰি-পকি গোপিনীসকলে বিচাৰি চালে, কেনিও ক'তো কৃষ্ণক পোৱা নগল। বিচৰা ঠাইতে ঘূৰি বিচাৰে, কঞ্জবন বিচাৰি পাত পাত কৰে, তথাপি গোপিনী-সকলে প্ৰাণকৃষ্ণক বিচাৰি নাপায়! নাপায় যি নাপায়েই; চৌপাশে 'নাই' 'নাই' হতাশৰ হাম্‌বাৱ উঠিল, গোপিনী-সকল সঙ্গী হেৰোৱা সঙ্গিনী হস্তিনীৰ দৰে ব্যাকুল হৈ পৰিল[4]। কৃষ্ণ-বিৰহত শোকাকুলা গোপিনীসকলৰ ভিতৰত ঘাইকৈ ৰাধিকা-গোপিনীৰ বিৰহ-শোক আটাইতকৈ চৰা হল। অনুতাপত তেওঁৰ হিয়া দগ্ধ হবলৈ ধৰিলে। তেওঁ বিনাই বিনাই এই বুলি খেদ কৰিবলৈ ধৰিলে যে, তেওঁৱেই সেই প্ৰাণান্তক বিপদৰ কাৰণ হল; কিয়নো, তেওঁ যদি ধেমালিৰ নিয়মৰ বান্ধত পৰি গোপীনাথৰ কানত উঠিবলৈ

ধৰিলে,—ফলিতাৰ্থত যি গোপিনীত কৃষ্ণাসক্তি অত্যধিক প্ৰবল অথবা যি গোপিনীৰ প্ৰতি কৃষ্ণানুৰাগ অত্যধিক ডাঠ্‌ যেন দেখা যায় বা বুজা যায়, তেওঁকে সিবিলাকে ৰাধা বা ৰাধিকা বুলিবলৈ ধৰিলে। সেই নিয়মেই সেই পূৰ্ণিমা ৰাতি ৰাসোৎসৱত 'শ্ৰীৰাধা-কৃষ্ণ' অভিনীত হবলৈকো বাকী নৰল।

(১) ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ আৰু শ্ৰীমদ্ভাগৱতৰ ৰাসলীলা বৰ্ণনাত এই সতৰঞ্চ চৌপট্ট-খেলৰ কথা বিস্তাৰিতকৈ কোৱা হৈছে। ই ঘাইকৈ দুবিধ,—পঁচি আৰু পাশা। গৰখীয়াশালিত পাঁচ-খেলৰচলন্তি হে প্ৰবল। ইয়াৰ অনুবৰ্ত্তী আৰু কেইবিধমান খেল গৰখীয়াশালিত চলে; তাৰ ভিতৰত থলি-গুটিখেল গৰখীয়াৰ বৰ প্ৰীতিকৰ ধেমালি। এই আটাইবোৰ পাঁচনীখেলৰ অন্তৰ্ভুক্ত।

(২) গৰখীয়াশালিত হোৱা ৰং-ধেমালিৰ এনে নিয়ম-বান্ধনীৰ চলন্তি আজিকো পতি আছে। আৰু, খেল মাত্ৰেই অৰিয়া-অৰিৰ ভেঁটিৰ ওপৰত থিয়; তাত খেলুৱৈৰ ৰাপ্‌ নবহে।

(৩) দশম স্কন্ধ ভাগৱতৰ ৰাসক্ৰীড়া বৰ্ণনাত ই এটি হাঁহিতোলা বিচিত্ৰ চিত্ৰ অঙ্কিত হৈছে। সম্ভৱতঃ সেই চিত্ৰকে অতিৰঞ্জিত কৰি আধুনিক ব্ৰহ্মবৈৱৰ্ত্তপুৰাণকাৰে—'ৰাধিকাৰ মানভঞ্জন' ছবি আঁকিছে। হৰিবংশ, বিষ্ণুপুৰাণ আৰু ভাগৱতত কিন্তু ব্ৰহ্মবৈৱৰ্ত্তৰ ৰাধাও নাই, চন্দ্ৰাৱলীও নাই, আৰু সেই দুই চৰিত্ৰত থটোৱা অৰিয়া-অৰিৰ প্ৰতিফল 'মানভঞ্জনো' নাই।

(৪) অন্তৰ্হিতে ভগৱতি সহসৈব ব্ৰজাঙ্গনাঃ।
অতপ্যংস্তমচক্ষাণাঃ কৰিণ্যইব যুথপং।

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩০ আধ্যা, (ৰাসপঞ্চাধ্যায়, ২য় আধ্যা) ১ম শ্লোক।

অৰ্থ:—ভগবান শ্ৰীকৃষ্ণ অকস্মাৎ নাইকিয়া হোৱাত, সঙ্গী হেৰোৱা সঙ্গিনী হস্তিনীৰ দৰে ব্ৰজৰ গোপিনীগণ শোকাকুল হৈ পৰিল।

মৰণত শৰণ দি আগ নাবাঢ়িলহেঁতেন, তেন্তে এই মহা আপদ ঘটিবলৈ নাপালেহেঁতেন। সেই বুলি সেই ৰাধিকা-গোপিনীয়ে মাটিত বাগৰি বাগৰি বিনাবলৈ ধৰিলে[১]। তেওঁৰ বিননিত গছৰ পাত খিলি খিলি হল। আনবিলাক গোপিনীও সেই একে বিৰহবেদনাত বিয়াকুল। তাৰ উপৰি, সিবিলাকৰ অনুতাপ আৰু সহবেদনাৰ হিয়াপোৰণি চৰিবলৈ ধৰিলে। কিয়নো, তেওঁবিলাকৰ বিচাৰ আৰু বাচনি মতেহে সেই ৰাতি সেই অভাগিনী গোপিনী গৰাকীৰ পালত ৰাধিকাৰ ভাও পৰিছিল, আৰু সিবিলাকে টানি-আঁজুৰি আগবঢ়াই নি বাধ্য কৰাত হে 'ৰাধিকা'ৰ সেই দুৰ্ঘটনা ঘটিবলৈ পালে, আৰু সিবিলাকৰ আপোন-দোষতে আপোনাৰ গাত সেই অপায় মিলিল। সেই দেখি, ৰাধিকাক বিবিধ বুজনিৰে সান্ত্বনা দি তুলি লগত লৈ আটাইটিয়ে পিয়া-পি-দি বৃন্দাবনৰ চঁউপাশে গোপিনী-মোহন যশোদানন্দনক হাবাথুৰি খাই বিচাৰিবলৈ ধৰিলে।

জুম্ জুম্ হৈ সেই গোপিনীসকলে কৃষ্ণক বিচাৰে হে বিচাৰে, কৃষ্ণক কেৰেঁ নাপায়! ইজুমে ভাবে সিজুমে পাইছে বুলি, সিজুমে ভাবে আন জুমে পাব পায় বুলি,—কেইওজুম্ যেতিয়া কোনোবা পাকত ভেটা-ভেটি হয়, তেতিয়া হতাশত আটাইটি মূৰ্চ্ছা গৈ ঢলি ঢলি পৰে! এই দৰেই, কৃষ্ণক বিচাৰি নাপাই গোপিনীসকল উন্মাদিনীৰ নিচিনা হল;—সিবিলাকে গছ-লতা, নৈ-বিল, চৰাই-পহু এইবোৰকো কৃষ্ণৰ সন্ধান সুধিবলৈ ধৰিলে[২]। ইজুমৰ পাচত সিজুম গৈ গোপিনীবৰ্গে বিধ্ বিধ্‌কৈ কদম, তমাল, মাধৱ, বকুল আদি গছত সোধে,—কৃষ্ণচন্দ্ৰক সেইপিনে যোৱা দেখা পাইছিলে নে নাই বুলি;—গছক নিৰুত্তৰ পাই বেজাৰ মনেৰে আঁতৰি যায়, আৰু 'পুৰুষে নাৰীৰ বেদনা বুজিব কি' এই বুলি খেদ কৰি বিনাবলৈ ধৰে। তাৰ পাচত, আটাইটি বাউলী হৈ নিকুঞ্জ, মালতী, মাধবী লতাত সোধেগৈ, শ্ৰীনন্দ-নন্দন গোপালক সেইপিনে কেনেবাকৈ দেখা পাইছিলে নে বুলি;—লতাকো নিৰুত্তৰ পাই গোপিনীসকলৰ শোক এই বুলি উধাবলৈ ধৰে যে, নাৰীয়েও নাৰীৰ বেদনা নুবুজে! তাৰপৰা আটাইটি আতুৰ হৈ কালিন্দীত নামেগৈ, জানোবা সৰিতবিহাৰী কৃষ্ণাই তাতে সাঁতুৰি-নাদুৰি বিহাৰ কৰি আছে?—নৈয়ে খল্‌খলাই হাঁহি হাঁহি বৈ গৈ ইতিকিং হে কৰিলে;—গোপিনীসকল বিষাদিনী হৈ আঁতৰি আহিল। সেইদৰে উপেক্ষিত হৈ আতুৰা গোপিকাই তমালৰ ডালত পৰি চুমা-চুমিকৈ থকা চাকৈ-চকোৱাত এই বুলি সুধিলেগৈ, "কোন্ পিনে গলে নো কৃষ্ণাইক লগ পোৱা যাব?" চাকৈ চকোৱাৰ চকু-পিৰিকনি দেখি বুজা গল, সিহঁত আত্মসুখত বিভোৰ, আনৰ দুখ অনুভৱ কৰিবলৈ অপাৰগ! তাৰপৰা বিষাদ লাগি আঁতৰি যাওঁতে চকিত হৰিণীক পালেগৈ; হৰিণীয়ে মূৰ তুলি চকু-কাণ থিয় কৰি যি পোনে ঠৰ্ লাগি চাই আছিল, সেই পোনেই কৃষ্ণসন্ধান অনুমান কৰি উন্মাদিনী গোপিনী সকলে পিয়া-পি-দি বিচাৰিবলৈ ধৰিলে। কিন্তু নাই, শ্যামধন ক'তো নাই! যিমানেই বিচাৰি পোৱা নগৈছে, সিমানেই কৃষ্ণধনৰ উদ্দেশে গোপিনীসকলৰ ধাউতি বাঢ়িছে, সিমানেই সিবিলাকে হাবাথুৰি খাই বিচাৰিবলৈ ধৰিছে। বিচাৰোঁতে বিচাৰোঁতে কেতিয়াবা কোনো ঠাইত শ্ৰীকৃষ্ণৰ চিৰ-পৰিচিত পদ-চিন্ পাই সেই ফাললৈকে আটাইটি ঢাল খাই গৈ বিচাৰি ব্যাকুল হয়। সেই পদ-চিন্ খেদোঁতে খেদোঁতে ক'তো বা যোৰা-খোজ পোৱা যায়; কোনোবা গোপিনী যেন কৃষ্ণাইৰ লগ পাই তাতে ৰাধিকা হৈছিল! আৰু, খেদোঁতে খেদোঁতে কোনো ঠাইত যোৰা গুচি গুটীয়া খোজ পোৱা যায়,—দেখি ঈৰ্ষাজুইত ভেইপুৰি মৰা গোপিনীৰ মনত এনে ভাব খেলায় যেন সেই খিনিতে ভাগৰে অৱশ কৰাত সেই ৰাধিকাক ৰাধানাথে কোলাত তুলি লৈ গৈছে! আকৌ পোৱা যায়, সৰোবৰৰ পাৰত যুৰীয়া খোজ, তাৰ কাষত সৰি পৰা পদুমৰ পাহি;—দেখি

---

(১) শ্ৰীমদ্ভাগৱতৰ এই 'ৰাধিকা' ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ 'ৰাধা' নহয়। হৰিবংশ সেই 'ৰাধা' বা 'ৰাধিকাৰ' ওচৰ-সীমায়ো যোৱা নাই।

(২) শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধত এই হৃদয়ব্যঞ্জক বৰ্ণনা বহলাই দিয়া আছে। আৰু, সি স্বৰূপতে স্বাভাৱিক বৰ্ণনা। তাৰে সাৰাংশ মাথোন এই পুথিত টুকি দিয়া হৈছে।

বিৰহিণী গোপিকাবৰ্গৰ হিয়া এনে ভাবত জ্বলিবলৈ ধৰে যে, হয়তো সেই থিনিতে প্ৰেমিক কৃষ্ণই আৰু কোনোবা এগৰাকী ভাগ্যৱতী 'ৰাধিকা'-গোপিনীৰ খোপাত পদুম ফুল পিন্ধাই দিছিল! সেই ভাবে ৰাসমঞ্চত ভাৰৰীয়ানী 'ৰাধিকা'ৰ অন্তৰত ঈৰ্ষাৰ সাতজুৰামান অগ্নি জ্বলালে, তেওঁ তাৰ দহনত তৰণি নাপাই তাতে পৰি মূছ্‌কঁছ্‌ গল!

চতুৰ্থ ছেদ

শ্ৰীৰাধাকৃষ্ণ*

সেইদৰে উত্ৰাৱল হৈ বিৰহিণী গোপিকাসকলে কিমান বিচাৰিলে, তথাপি ক'তো কৃষ্ণাইক লগ নাপালে! অৱশেষত আকৌ আটাইটিয়ে একেঠাই হৈ যমুনাপাৰত পৰি পৰি কৃষ্ণগুণ গাই বিলাপ কৰিবলৈ ধৰিলে। সেই কীৰ্ত্তনৰ ভাওনাত এগৰাকী গোপিনী পুতনা হয়, আন এগৰাকীয়ে কেঁচুৱা কৃষ্ণ হৈ স্তন চুহি তাইক বধ কৰে, এগৰাকী যশোদা হৈ, আন এগৰাকীক কৃষ্ণ কৰি, কঁকালত কাপোৰৰ পঘা লগাই, আৰু এগৰাকীক উৱাল পাতি তেওঁৰ কঁকালত বান্ধি মাখন-চোৰ কৃষ্ণক এৰাল দিয়ে, এগৰাকী কৃষ্ণ হৈ আন এগৰাকীক ৰাধা পাতি ছঁয়াকটাই পলুৱাই নিয়ে[১]; কেইগৰাকীমানে শাৰী পাতি মূৰত মূৰ লগাই ফণাধাৰী কালিয় হয়, এগৰাকী তাৰ ওপৰত উঠি শ্ৰীকৃষ্ণৰ আৰ্হিৰে ত্ৰিভঙ্গী হৈ বেণু বজায়, এগৰাকী গোপিকাই গাৰ আঁচল মেৰাই বাওঁহাতৰ কেঞা-আঙুলিৰ মূৰত তুলি লৈ উৰ্দ্ধবাহু হৈ গোবৰ্দ্ধনধাৰীৰ ভাও দিয়ে, আনবিলাকে মূৰ দোঁৱাই তাৰ তলত আশ্ৰয় লয়। ইত্যাদি নানা ব্যৱস্থাৰেও প্ৰাণকৃষ্ণক লাভ কৰিব নোৱাৰি গোপিনীসকল মৰাপ্ৰায় হৈ ৰাসমঞ্চলৈ উলটি আহিল। আহি, আন উপায় নেদেখি, গোপিনীবৰ্গ বাউলী হৈ কদমৰ তলত আপোনমনেৰে অকলশৰীয়াকৈ থিয় দি ৰং চাই থকা প্ৰশান্ত মূৰ্ত্তি বলৰামৰ পাৱত ঢলি ঢলি পৰিবলগে। বলৰামে এটি গহীন হাঁহিমাৰি আশ্বাস-সন্নিধানেৰে বুজনি দিলে। তাৰ পাচত, ততালিকে ৰাম-শিঙা বাজি উঠিল,—কোনোবা ফালৰপৰা উৰাৰত হৈ আহি শ্ৰীকৃষ্ণ ভমক্-কৰে আগতে ওলালহি! আতুৰা গোপিনীসকল বিস্ময়-বিহ্বল হৈ সেই পৰিথকাভাগেই মূছ্‌কছ্‌ গল। ৰাম-কৃষ্ণ ততালিকে সিবিলাকৰ শুশ্ৰূষাত তৎপৰ হল।

শ্ৰীকৃষ্ণৰ পুনঃ আবিৰ্ভাবত গোপিনীসকলে সঞ্জীৱনী শক্তি লাভ কৰিলে, ৰাসমঞ্চ পুনঃ উদ্দীপিত হল। যোগভ্ৰষ্ট যোগীয়ে পুনঃ যোগাৰম্ভ কৰাৰ দৰে বিৰহ-বিহ্বলা গোপিকা-বৰ্গে এই পুনৰ্ম্মিলনত স্বকীয়া-স্বকীয়াকৈ সিবিলাকৰ প্ৰেমৰ পুতলি হৃদয়ৰঞ্জন শ্ৰীকৃষ্ণৰ লগত প্ৰেমালাপ কৰিবলৈ ধৰিলে। প্ৰত্যেকেই একো-একোবাৰ 'ৰাধাকৃষ্ণ' হৈ কৃষ্ণ-সঙ্গসুখ উপভোগ কৰিলে, ক্ষন্তেকৰ ভিতৰতে ৰাসমণ্ডল উদ্ভাসি উঠিল, সাম্যভাৱৰ জেউতি বিয়পি পৰিল। প্ৰত্যেক 'ৰাধিকাই' প্ৰত্যেক কৃষ্ণক প্ৰত্যেক বাৰেই এই একেটা

---

* (ক) বিষ্ণুপুৰাণ, কৃষ্ণজন্ম খণ্ড, ১৫শ আধ্যা, ৫৭—৬৬ শ্লোকত পৰমাত্মাৰে সৈতে প্ৰকৃতিৰ যি সম্বন্ধ, তাৰ লগত কৃষ্ণৰে সৈতে ৰাধাৰ সম্বন্ধ ৰিজাই বহুল বৰ্ণনা দিয়া হৈছে।

(খ) আধুনিক ব্ৰহ্মবৈবৰ্ত্তপুৰাণ মতে 'ৰাধা' শব্দৰ ব্যুৎপত্তি:

ৰাকাৰো নিশ্চলাং দাস্যং ভক্তিং কৃষ্ণপদাম্বুজে।
সৰ্ব্বোপ্সিতং সদানন্দং সৰ্ব্বসিদ্ধৌঘমীশ্বৰম্॥
ধকাৰঃ সহবাসঞ্চ তত্তুল্যকালমেব চ।
দদাতি সাৰ্ষ্টিং সাৰূপ্যং তত্ত্বজ্ঞানং হৰেঃ সমম্॥
—ব্ৰহ্মবৈবৰ্ত্তপুৰাণ, শ্ৰীকৃষ্ণজন্মখণ্ড, ১৩ আধ্যা, ১০৮—১০৯ শ্লোক।

(গ) কৃষ্ণই ৰাধাক মূলপ্ৰকৃতি স্বৰূপে কৰা সম্বোধন:

মমাৰ্দ্ধাংশ স্বৰূপা ত্বং মূলপ্ৰকৃতিৰীশ্বৰী।
—বিষ্ণুপুৰাণ, কৃষ্ণজন্মখণ্ড, ১৫ আধ্যা, ৬৭ শ্লোক।

(ঘ) ৰাধা বয়সে কৃষ্ণতকৈ ডাঙৰ;—কৃষ্ণ যেতিয়া শিশু, ৰাধা তেতিয়া যুৱতী!—ব্ৰহ্মবৈবৰ্ত্তপুৰাণ, কৃষ্ণজন্মখণ্ড, ১৫শ আধ্যা, ১—৭ শ্লোক।

(১) অগ্ৰজ শ্ৰীমদ্ভাগৱতৰ এই ভেঁটিৰ ওপৰতে অনুজ ব্ৰহ্মবৈবৰ্ত্তপুৰাণে আদিৰসৰ বহণ লগাই 'ৰাধাহৰণ' চিত্ৰ আঁকিছিল বুলি মনে ধৰে। নহলে, 'ৰাধাহৰণ' চিত্ৰৰ আঁচ এটাও আনবিলাক পুৰাণ আৰু তাৰ পূৰ্ব্ববৰ্ত্তী হৰিবংশত পোৱা নাযায় কিয়?

প্ৰশ্নকে ধৰিলে যে, অভাগিনী গোপিনীক অনাথিনী কৰি তেওঁ কিয় সেইদৰে অন্তৰ্ধান হৈছিল? উপস্থিত-বুদ্ধিৰ নিজৰা, কথাৰ সাগৰ শ্ৰীকৃষ্ণই প্ৰত্যেক ৰাধিকাৰ মন বুজি স্বকীয়া-স্বকীয়াকৈ সমিধান দি প্ৰত্যেককে পৰিতুষ্ট কৰিবলৈ ধৰিলে।[১] কোনো গৰাকীক বুজালে যে, বিৰহৰ জাল দি মিলনৰ ৰস ঘন কৰিবৰ উদ্দেশ্যে তেওঁ সেইদৰে ছাতে বাগি দি লুকাই ফুৰিছিল; আন এগৰাকীক সমিচাৰ দিলে যে, গোপিকাৰ মন বুজিবলৈ হে তেওঁ আঁতৰ হৈ চাইছিল; কোনোৱে বা এই উত্তৰ পালে যে, প্ৰেমৰ ৰাগি চৰাবৰ অৰ্থে হে তেওঁ সেইদৰে হঠাতে হেৰাই প্ৰেমৰ ধাৰ ছিঙি চাইছিল; কোনোৱে বা এনে বুজনি পালে যে, সাম্যভাব ৰক্ষাৰ হেতুকে হে তেওঁ সেইদৰে ছঁয়াকাটি ফুৰিছিল,—কিয়নো তেওঁৰ মানত সদৌ গোপিনীয়েই 'ৰাধা' আৰু ৰাধিকা মাত্ৰেই তেওঁৰ শ্ৰী[২]। স্বৰূপত কৃষ্ণ এজন, আৰু ৰাধা বা ৰাধিকাও এগৰাকী মাথোন; কিন্তু কৃষ্ণভাবত তন্ময় প্ৰত্যেক গোপিনীয়েই নিজক নিজে ৰাধিকা বুলি অনুভৱ কৰিছিল, আৰু গোপিনীৰ ভক্তিত মুগ্ধ শ্ৰীকৃষ্ণই প্ৰত্যেক গোপিনীকে তেওঁৰ আৰাধিকাভাৱে বিশ্ব-অনুৰাগ বিতৰণ কৰিছিল।[৩]

---

(১) এবং মদৰ্থোজ্ঝিতলোকবেদ-
স্বানাং হি বো ময্যনুবৃত্তয়েঽবলাঃ।
মায়া পৰোক্ষং ভজতা তিৰোহিতং
মাসূয়িতুং মাৰ্হথ তং প্ৰিয়ং প্ৰিয়াঃ॥

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩২ আধ্যা (ৰাসপঞ্চাধ্যায়, ৪ৰ্থ আধ্যা) ২০ শ্লোক।

অৰ্থ:—হে অবলাসকল, তোমালোকে মোৰ নিমিত্তেই লোকাচাৰ, বেদাচাৰ আৰু আত্মীয়স্বজন পৰিত্যাগ কৰিছাঁহক। ময়ো তোমালোকক এৰি কলৈকো যোৱা নাই, মাথোন তোমালোকৰ অনুৰাগ বঢ়াবৰ অৰ্থে হে ক্ষন্তেক লুকাই আছিলোঁ; মই তোমালোকক দেখিয়েই আছিলোঁ, তোমালোকৰ বিলাপো শুনিছিলোঁ। তোমালোক মোৰ প্ৰিয়তমা, ময়ো তোমালোকৰ পৰম হিতৈষী। এতেকে, মোৰ ওপৰত দোষাৰোপ কৰি ৰোহ পাতিবৰ সকাম নাই।

(২) প্ৰকৃতি-বিনে পুৰুষ পূৰ্ণাঙ্গ নহয়। অথবা, প্ৰকৃতিশূন্য পুৰুষ শ্ৰীহীন। সেই অৰ্থত, উকা-কৃষ্ণ শ্ৰীহীন; 'ৰাধাকৃষ্ণ' হে শ্ৰীযুত। সেই কাৰণে কৃষ্ণ-আৰাধিকা গোপিনী মাত্ৰেই 'ৰাধিকা', আৰু 'ৰাধাকৃষ্ণ' মাত্ৰেই কৃষ্ণৰে সৈতে যোৱা লগা গোপিনী।

এইখিনিতে অলপ আচৰিত মানিবলগীয়া হয় যে, এগৰাকী ৰাধিকাৰে সৈতে প্ৰেমালাপত মগ্ন হওঁতে আনবিলাকে কৃষ্ণলৈ অপেক্ষা কৰিব লগাত পৰা নাই; সেই একে সময়তে ভাব-ভঙ্গি আৰু অন্যান্য বিবিধ সাঙ্কেতিক ৰং-ধেমালিৰে তেওঁ সকলোকে সমানে মুগ্ধ কৰি ৰাখিছিল। এই আচৰিত বা অতিপ্ৰাকৃতিক প্ৰতিভা বিকাশৰ বাবেও জনসাধাৰণে শ্ৰীকৃষ্ণত অলৌকিকতা আৰোপ নকৰাকৈ ৰব নোৱাৰিছিল। আৰু, সেই আপাহতে "যত ৰাধা, তত কৃষ্ণ" বুলি কৃষ্ণভক্ত গোপ-গোপিনীয়ে শ্ৰীকৃষ্ণত ঐশ্বৰিক লীলা-খেলাৰ মাহাত্ম্য মনে মনে আৰোপ কৰিছিল, যদ্যপি কোমল কৃষ্ণৰ কৰুণ প্ৰাণত ব্যথা লগোৱাৰ ভয়ত সিবিলাকে মনৰ সেই ভাব মনতে মাৰ নিয়াইছিল। কিন্তু, আচলতে একো আচৰিত নহয়। আধুনিক প্ৰত্যুৎপন্নমতিৰ অসাধাৰণ প্ৰতিভাশালী পুৰুষ নেপোলিয়ান বোনাপাৰ্টয়ে একে সময়তে সাতোটা কামত হাত লগাব বা সাতফালে মনোযোগ দিব পাৰিছিল; অসমৰ বিচক্ষণীয়া ৰাজনীতিজ্ঞ পুৰুষ পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙ্গৰীয়াই একে সময়তে পাচোঁটা কামত ধৰিব পাৰিছিল;—এতেকে, অদ্ভুত শক্তিশালী পুৰুষ শ্ৰীকৃষ্ণই একে সময়তে ইবিলাকৰ দুগুণ-চতুৰ্গুণ বা অপৰ্য্যাপ্তকৈ ভিন্ ভিন্ কাৰ্য্যত মন-কাণ-হাত লগাব পৰাটো একো আচৰিত মানিবলগীয়া কথা নহয়।

(৩) শ্ৰীমদ্ভাগৱতমতে এই 'ৰাধিকা' ওপৰত উন্নুকিয়াই অহা শ্ৰীকৃষ্ণৰ আজন্ম লগৰী যোগমায়া। কিন্তু, সি যি হওক, স্বৰূপাৰ্থত, শ্ৰীকৃষ্ণ স্বয়ং স্বতস্তৃপ্ত হৈয়ো শৰৎকালৰ প্ৰফুল্ল মল্লিকা কুসুমেৰে সুশোভিত পূৰ্ব্বপ্ৰতিশ্ৰুত সেই দীৰ্ঘ-ৰজনী সমাগত হোৱা দেখি যোগমায়া নামে নিজ অচিন্ত্য শক্তিক আশ্ৰয় কৰি তেওঁ কৃষ্ণ-আৰাধিকা গোপিনীবৃন্দৰে সৈতে বিহাৰ কৰিবলৈ বাসনা কৰে।

শ্ৰীমদ্ভাগৱতত, বিশেষকৈ ব্ৰহ্মবৈবৰ্ত্তপুৰাণত বিবৃত 'পূৰ্ণ-ৰাস'ৰ সমতুল্য অলঙ্কাৰ গোপিনীৰ বস্ত্ৰহৰণ বিৱৰণ হৰিবংশ আৰু বিষ্ণুপুৰাণত নাই। আৰু তাত ওপৰৰ দুখন পুৰাণে যি আদিৰস ঢালিছে, তলৰ দুখনত তাৰ শুংসূত্ৰও নাই। সি যি হওক, 'বস্ত্ৰহৰণ' প্ৰকৃত হোৱা হলেও তাত পাপৰ চেকা নপৰে; কিয়নো, এঘাৰ বছৰীয়া নাবালক কৃষ্ণই তেনে ধেমালি খেলিলে তাত দায় ধৰিবলৈ ঠাই নাই, আৰু তাত আদিৰসৰ সঞ্চাৰ নাথাকে।

পঞ্চম ছেদ

পূৰ্ণৰাস

শ্ৰীকৃষ্ণই পুনৰপি ৰাসমঞ্চত প্ৰৱেশ কৰি সাম্যভাৱে গোপিনী-সকলৰ মন যোগাই ৰাসোৎসৱ সম্পূৰ্ণ কৰিবলৈ অগ্ৰসৰ হৈছে, এনেতে ৰামশিঙ্গা বাজি উঠিল;—সন্দৌ গোপিকাবৰ্গ একেচাৰে উঠি ৰাসমণ্ডলৰ মাজত ৰাসেশ্বৰ শ্ৰীকৃষ্ণক কেন্দ্ৰ কৰি লৈ মৰল পাতি থিয় হলগৈ। পিচ-মুহূৰ্ত্তেতে শ্ৰীকৃষ্ণৰ মোহন মুৰুলীত গা-তোলা গীত-গট্‌ বাজি উঠিল, আৰু গোপিকামণ্ডলীয়ে হাতে-হাতে ধৰা-ধৰিকৈ গহীন-গম্ভীৰ সুললিত সুৰেৰে গীত গাই গাই নাচিবলৈ ধৰিলে। প্ৰত্যেক গোপিনীৰ মন যোগাবৰ অৰ্থে মণ্ডলাকাৰ শাৰীৰ দুই-দুই গোপিনীৰ মাজত সোমাই শ্ৰীকৃষ্ণয়ো নাচন ধৰে।[১] এইবাৰ নাচত ৰাগি ঘন; গতিকে, নাচনীসকল উলাহিত যদিও, বিচলিত নহয়। আগবদৰেই গোপিকামোহন বংশী-বদনে প্ৰাণ-কাঢ়ি-নিয়া সুৰেৰে গট্‌ বজাবলৈ ধৰিলে, নাচনী গোপিকামণ্ডলীয়ে আপোন-পাহৰা হৈ নাচিবলৈ লাগিলে। একেদৰেই গোপীনাথ মুৰুলীধৰে হিয়া-নচুৱা গটেৰে মুৰুলী বজাবলৈ ধৰিলে, মৰল-পতা গোপিকাসকলে তাৰ চেৱে-চেৱে উৰুলীকৃত হৈ নাচিবলৈ লাগিলে। ৰাধানাথ মুৰুলী-ধৰে গুৰ্‌গুৰ্‌কৈ উদ্দানি বোলেৰে মুৰুলীত ৰগৰ দিয়ে, কেন্দ্ৰত গৈ মিলি চেও থৈ থৈ ৰাধিকাবৰ্গে আনন্দত উধাও হৈ চেও ধৰি ধৰি নাচিবলৈ ধৰে। ছেদে-ছেদে ছেগমতে পেঁপা আৰু লাওবাহী মনমোহা সুমধুৰ সুৰত বাজি উঠে, সন্দৌ গোপিকাই কৃষ্ণৰে সৈতে সন্মিলিত হৈ ডিঙ্গি-ধৰাধৰিকৈ নাচোন ধৰে। উকা নাচোনৰ পাচত গীতি-নাচ্‌ আৰম্ভ হয়। কৃষ্ণই লগাই দিয়ে, গোপিকাই ধৰে; গোপিকাই এৰোঁতেই কৃষ্ণই ধৰে; এই নিয়মে ধাৰ নিছিগা গীতে ৰাসমণ্ডল ভেদি বৃন্দাবন প্ৰতিধ্বনিত কৰে। শুনি শুনি পানীৰ মাছ, বনৰ পশু, গছৰ চৰাই তবধ লাগে; কদমৰ তলত একাণপতীয়াকৈ শুনি শুনি সাধু হলধৰ ভাবত তন্ময় হয়! এই ধৰণৰ পূৰ্ণৰাসৰ নাচোন চাই চাই আৰু গীত শুনি শুনি পূৰ্ণচন্দ্ৰ ক্ৰমাৎ ভটীয়াবলৈ ধৰিলে। গতিকে, সিমানতে তাৰ সামৰণি মাৰি শ্ৰীকৃষ্ণই সাম্যভাবৰ ছাব ভাঠ কৰিবৰ অভিপ্ৰায়ে ঐক্যতানৰ গিৰ্জ্জনি মৰা গীতৰ অৱতাৰণা কৰিলে। সেই অৰ্থে, তেওঁ পাল-বাঁটি প্ৰত্যেক গোপিকাৰে সৈতে শ্ৰীৰাধাকৃষ্ণৰ[১] যোৰা পাতি লৈ হৰি-কীৰ্ত্তনৰ নাম লগাই দিয়ে, বাকী আটাইবিলাকে সমস্বৰে সেই নাম দোহাৰিবলৈ ধৰে। এই নিয়মে ৰাসমঞ্চত উপস্থিত গোপিকাসকলৰ প্ৰত্যেককে একোবাৰকৈ 'ৰাধিকা'ৰ ভাও-বাব ধাৰণ কৰিবলৈ ছেগ দি, শ্ৰীকৃষ্ণই সিবিলাকৰ মাজত সাম্যভাব সংস্থাপন কৰি, 'ৰাসলীলা'ৰ ঘাই উদ্দেশ্য সাধন কৰিলে। এনে কি, পতি-পুত্ৰ এৰি আহি ৰাসলীলাত যোগ দিবলৈ অপাৰগ হোৱা গোপিনীয়েও সেই সুখ অনুভৱ কৰিছিল।[২] ইয়াৰে সৈতেই অমৰবাঞ্ছিত ৰাসলীলা, 'মধুৰেণ সমাপয়েৎ' কৰি, উষা-পোহৰত গোপিনীসকলক ঘৰাঘৰি বিদায় দি, ৰাম-কৃষ্ণ হৰিষ চিতেৰে আনন্দভৰন নন্দালয়লৈ উলটি আহিল।

---

(১) ৰাসোৎসৱঃ সংপ্ৰবৃত্তো গোপীমণ্ডল মণ্ডিতঃ;
যোগেশ্বৰেণ কৃষ্ণেন তাসাং মধ্যে দ্বয়োৰ্দ্বয়োঃ।
প্ৰবিষ্টেন গৃহীতানাং কণ্ঠে স্বনিকটং স্ত্ৰিয়ঃ॥

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৩ আধ্যা, (ৰাসপঞ্চাধ্যায়, ৫ম আধ্যা) ৩য় শ্লোক।

অৰ্থাৎ, গোপিনীবৰ্গৰ ভিতৰত যি এনে অনুভৱ কৰিছিল যে, কৃষ্ণই কেৱল তেওঁৰে হে ডিঙ্গিত সাবটি ধৰি আছিল, সেই গোপিনীৰ তেনে ভাব অক্ষুণ্ণ ৰাখিবৰ অৰ্থে প্ৰত্যেক যোৰা-যোৰা গোপিনীৰ মাজত কৃষ্ণমূৰ্ত্তিত প্ৰবিষ্ট হৈ যোগেশ্বৰ শ্ৰীবিষ্ণু ৰাসোৎসৱত প্ৰবৃত্ত হয়।

(১) কৃষ্ণ-যোৰালগা এই 'ৰাধা' কিন্তু আধুনিক বৈষ্ণৱ কবিৰ সৃষ্ট 'ৰায়াণ' বা 'আয়াণ'ৰ স্ত্ৰী 'ৰাধা' নহয়। বিষ্ণুপুৰাণ, হৰিবংশ, শ্ৰীমদ্ভাগৱত আৰু মূল-পুৰাণ এখনতো 'ৰায়াণ' বা 'আয়াণ'ৰ নাম-গোন্ধও নাই।

(২) অন্তৰ্গৃহগতাঃ কাশ্চিদ্গোপ্যোহলব্ধবিনিৰ্গমাঃ।
কৃষ্ণং তদ্ভাবনাযুক্তা দধ্যুৰ্মীলিতলোচনাঃ॥

শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৯ আধ্যা, (ৰাসপঞ্চাধ্যায়, ১ম আধ্যা) ৮ম শ্লোক।

অৰ্থাৎ, যি সকল গোপিনীয়ে পতি-পুত্ৰাদিক এৰি গৈ ৰাসমঞ্চত শ্ৰীকৃষ্ণৰ লগত যোগ দিবগৈ নোৱাৰিলে, সিবিলাকেও ঘৰতে থাকি পাটীত পৰি চকুমুদি তগদতচিত্তেৰে শ্ৰীকৃষ্ণক ধ্যান কৰিবলৈ ধৰিলে।

দশম আধ্যা

প্ৰথম ছেদ

অম্বিকাবন (১) তীৰ্থযাত্ৰা শঙ্খচূড় বধ (২) আৰু নন্দোদ্ধাৰ (৩)

বৃন্দাবনত ব্ৰজবাসীৰ অপায়-অমঙ্গল অন্ত পৰিও নপৰে! ব্যোম-অসুৰ বধৰ লগতে বৃন্দাবন বনশত্ৰুশূন্য হল যেন লাগিছিল। পিচে, সেই ভাৱে মাহচেৰেক নিৰাপদে পাৰ হোৱাৰ পাচত, আকৌ আন এবিধ আপদ মিলিল,— এইবাৰ সি যুৰীয়া।

যথাবিধি শুভক্ষণ চাই এদিন গোপ-গোপিনী আৰু গৰখীয়া ল'ৰা-ছোৱালী সমন্বিতে ৰাম-কৃষ্ণক লৈ নন্দৰাজে অম্বিকা-থানলৈ যাত্ৰা কৰিলে। আগৰণুৱাকৈ এদল শিক্ষিত গৰখীয়া সেনাদলৰ নেতাৰূপে সবাৰৰে আগত স্বয়ং বেণুধৰ শ্ৰীকৃষ্ণ, আৰু গুৰিধৰাকৈ আন এদল গৰখীয়া সেনাদলৰ নায়কৰূপে ৰাম-শিঙ্গাধাৰী স্বয়ং বলদেৱ, সম্মাজভাগত গোপ-গোপিনীৰে সৈতে পৰিবেষ্টিত হৈ স্বয়ং নন্দৰাজ, আৰু সম্মাজৰ অগা-পিচাকৈ আৰু মজামজিকৈ লগত গাখীৰ, গুৰ, দৈ, চিৰা, আখৈ, ক্ষীৰ, মাখন, ঘিঁউ, অন্ন, বস্ত্ৰ আৰু বিবিধ উপকৰণৰে সৈতে অপৰ্য্যাপ্ত পূজাৰ সমল এক ক্ৰোশ পৰিমিত পথ জুৰি নন্দালয়ৰপৰা অম্বিকা-পীঠলৈ শোভাযাত্ৰা কৰা হয়। ওৰ্বাটে পেঁপা, বাঁহী, বেণু, মুৰুলী, তাল, খোল, মৃদঙ্গাদিৰ সুমধুৰ বাদন; তাৰ তালে-চেৱে ৰজিতা খুৱাই গোৱা আৰু নচা গৰখীয়া সেনাদলৰ গা-তোলা গীত-নাচ, আৰু গোপ-গোপিনীৰ হিয়া-নচুৱা হৃদয়গ্ৰাহী কীৰ্ত্তনৰ ৰাগ-ৰাগিণীৰে সৈতে সেই শোভাযাত্ৰাই বৃন্দাবন প্ৰতিধ্বনিত কৰি এটি দেৱতাদুৰ্ল্লভ অনুপম শোভা ধাৰণ কৰিছিল।

যথাসময়ত অম্বিকাপীঠ-থান গৈ পোৱাত, ৰাম-কৃষ্ণ সমন্বিতে নন্দৰাজৰ ওলগ লৈ, আৰু যাত্ৰীদলৰ সেৱা-শুশ্ৰূষাৰ দিহা লগাই দি, পূজাৰীয়ে পশুপতি মহাদেৱ আৰু অম্বিকা গোসাঁনীৰ পূজা আৰম্ভ কৰিলে। এনেতে, ৰাম-শিঙ্গা বাজি উঠিল,—মুৰুলীধৰ শ্ৰীকৃষ্ণক মাজত লৈ গৰখীয়া ওজাপালি উঠি পেঁপা, বাঁহী আৰু খুঁটিতালৰ বাদনৰ তাল-মান চেৱেৰে মিলাই গৰখীয়া ল'ৰা-ছোৱালীদলে সুললিত গৰখীয়া গীত গাবলৈ ধৰিলে, আৰু গীতৰ ছেদে-ছেদে ৰুণুক্-ঝুণুক্ নেপুৰৰ হৃদয়-নচুৱা শবদেৰে মনমোহা কীৰ্ত্তনৰ নাচোনৰ ঘেটা পৰি সৰ্ব্বতোভাৱে তাৰ জেউতি চৰি উঠিল। দেখি-শুনি যেন মৰ্ত্ত্য জগৎ তবধ লাগিল, দেৱতাসকলেও যেন অন্তৰীক্ষৰপৰা সেই অপ্সৰা বিনিন্দিত নাচ-গীত দেখি-শুনি বিমুগ্ধ হল। এইভাৱে গোটেই দিন পূজা, সংকীৰ্ত্তন আৰু শঙ্খ-ঘণ্টাদিৰ হিয়াভেদী বাদনৰ মৃদুমধুৰ ৰোল-মিহলি স্নিগ্ধ সমীৰণৰ মাজত নিমগ্ন থাকি সন্ধিয়া বেলিকা

(১) 'অম্বিকা বন' বৃন্দাবনত সৰস্বতী নৈৰ পাৰত ভগৱতী শিবানীৰ মহাতীৰ্থ থান। আজিকালি শাক্ত সম্প্ৰদায়ৰ মাজত প্ৰচলিত শাৰদীয় দুৰ্গাপূজাৰ দৰে, ব্ৰজবাসীয়ে বছৰি এই তীৰ্থস্থানত শিৱৰাত্ৰি-তিথিত দেৱদেৱ পশুপতি আৰু দেৱী অম্বিকাৰ পূজা পাতিছিল।

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৪ আধ্যা, ১ম শ্লোক।

(২) শ্ৰীমদ্ভাগৱত মতে, শঙ্খচূড কুবেৰৰ অনুচৰ। শাপগ্ৰস্ত হৈ তেওঁ যক্ষৰূপে পৃথিৱীত ভ্ৰমিছিলহি। অম্বিকা-যাত্ৰাৰ কালত শ্ৰীকৃষ্ণৰ হাতত মুক্তিলাভ কৰি তেওঁ পুনঃ স্বৰ্গগামী হয়। সেই যক্ষই খোপাত এটা বহুমূলীয়া শঙ্খমণি পিন্ধিছিল। শ্ৰীকৃষ্ণই শঙ্খচূডক বধ কৰি সেই মণি আনি অগ্ৰজ বলৰামক উপহাৰ দিয়েহি। জনসমাজে ভাগৱতৰ উক্তিত যি যুক্তি খটাওক, আমাৰ যুক্তিক সেই উক্তিয়ে অলপ পাক লাগি সমৰ্থন কৰিছে। অৰ্থাৎ, আমাৰ মতে শঙ্খচূড এটা যক্ষহেন বন-মানুহ। অসভ্য বনৰীয়া মানুহবিলাকে সচৰাচৰ লুকাই চুৰকৈ যিবোৰ কাম কৰে, শঙ্খচূড়েও তাকে কৰিছিল। আৰু, তাৰ পৰিধেয় বহুমূলীয়া 'শঙ্খমণি' আন নহয়, সি প্ৰকৃত শঙ্খই। পৰ্ব্বতীয়া অসভ্যজাতিবোৰৰ মানত শঙ্খ বিশেষকৈ শামুকীয়া শঙ্খ বৰ মূল্যবান বস্তু। সুসভ্য জাতি মানুহৰ মানত মুকুতা-মণি যেনে আদৰুৱা অলঙ্কাৰ, অসভ্য জাতিৰ মানত শঙ্খমণি তেনে আপকগীয়া অলঙ্কাৰ। অসমৰ নগা জাতিতে তাৰ বিশিষ্ট প্ৰমাণ পোৱা যায়।

(৩) শ্ৰীমদ্ভাগৱত মতে অম্বিকা দোলত যি অজগৰে নন্দক জীয়াই জীয়াই গিলিবলৈ ধৰিছিল, সি আঙ্গিৰস ঋষিৰ শাপগ্ৰস্ত সুদৰ্শন বিদ্যাধৰ। শ্ৰীকৃষ্ণৰ চৰণস্পৰ্শত সেই ছেগতে তেওঁৰ উদ্ধাৰ হয়।—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৪ আধ্যা, ৯—১১ শ্লোক।

পূজাৰীয়ে পূজা সামৰণ ঘোষণা কৰিলে। তাৰ পাচত, ৰাম-কৃষ্ণৰ দিহা মতে সমবেত সকলোটি হৰিষ চিতেৰে আনন্দ-ভোজনত বহিল। সেই ভোজন-সুখ অনিৰ্ব্বচনীয়, সেই ক্ষন্তেকীয়া আনন্দ-উপভোগ বৰ্ণনাতীত, সি অনুভৱৰো ওপৰঞ্চি, আৰু তাক সতকাই উপলব্ধি কৰা নাযায়।

ভোজনৰ অন্তত ভাগৰুৱা যাত্ৰীদলৰ যেয়ে য'তে সুচল পালে, সেয়ে ত'তে প্ৰকৃতিৰ পাৰিথোৱা বননি-পাটীত পৰি নিদ্ৰাদেৱীৰ কোলাত জিৰণি ললে। নন্দৰাজক নীৰলাকৈ অলপ আঁতৰত পীঠখানৰ পিৰালিত শিতান দি শয্যা পাতি দিয়া হল। বয়সীয়া গোপ-গোপিনীবৰ্গক যেতিয়া ভাগৰৰ টোপনিয়ে ক্ৰমাৎ অৱশ কৰি আনিলে, তেতিয়া শ্ৰীকৃষ্ণৰ সঙ্কেত অনুসৰি মৃদুমধুৰ সুৰেৰে ৰামশিঙ্গা বাজি উঠিল, আৰু গৰখীয়া ল'ৰা-ছোৱালীদলেৰে লগ লাগি ৰাম-কৃষ্ণই বৃন্দাবনৰ মনোহৰ বনৰ মাজে মাজে সিবিলাকৰ চিৰনতুন প্ৰিয়কাৰ্য্য বনবিহাৰ আৰম্ভ কৰিলেগৈ।

চলন্তা ৰীতি অনুযায়ী সবাৰো আগত বংশীবদন শ্ৰীকৃষ্ণ, আৰু সবাৰো পিচত ৰামশিঙ্গাধাৰী বলৰাম ক্ৰমে আগৰণুৱা নেতা আৰু গুৰিধৰা গা-চোৱা হৈ লগৰীয়া গৰখীয়া ল'ৰা-ছোৱালীদলক মাজত লৈ মহানন্দে বৃন্দাবন বিহাৰ কৰিবলৈ ধৰিলে। সিবিলাকৰ আশে-পাশে গাৰ ছাঁ যেন হৈ এটা ভীমাকায় বনমানুহ ফুৰাও ল'ৰা-ছোৱালী বিলাকৰ মাজত কোনো-কোনোৱে কেতিয়াবা দেখা পায়। সি বোলে গোপ-উপনিবেশৰপৰা আঁৰে আঁৰে সিবিলাকৰ লগৰীয়া হৈ গৈছিল, কেৱে তালৈ মন হে কৰা নাছিল। তাৰ ধোঁৱাবৰণীয়া কুটুলা চুলিটাৰ ওভতাই আনি কপালৰ আগত ওপৰশিঙীয়াকৈ শেলাই লগা শামুকীয়া শঙ্খৰ সদৃশে আগ-খোপা বন্ধা। গাৰ বৰণ মেটমেটু কৰে ক'লা। কোৰখনীয়া উছলা আপচু দাঁতকেচলা ধকধকু কৰে বগা। চকু দুটা চেলাউৰিত লাগি ওলমি থকা দুটা পকা ডিমৰু যেন। চেপেটা নাকটো ওঁঠৰ সমানে লিপিটুখোৱা। কাণ দুখন যেনিবা দুখন কুলা হে। হাত-ভৰিলৈ চালে সাক্ষাৎ এটা ভালুক! ধেমুভিৰীয়া বৰপেটগোটৰে সৈতে এটা ৰাক্ষসৰ আকৃতি। সেই দৈত্যাকাৰ বন-মানুহটো[১] নন্দালয়ৰপৰা যাত্ৰা কৰাৰেপৰা অম্বিকাযাত্ৰীদলৰ লগৰীয়া হৈ আঁৰে আঁৰে আহিছিল, আৰু সততে তাক শ্ৰীকৃষ্ণৰ আশে-পাশে ঘূৰি ফুৰালৈকো কোনো-কোনোৱে মন কৰিছিল। বন-বিহাৰৰ সময়ত সি গাৰ ছাঁ যেন হৈ শ্ৰীকৃষ্ণৰ নিচেই কাষ চাপি ফুৰিছিল। পিচে, সেইদৰে ফুৰি থাকি, এটা ছেগত থাপতে সি কৃষ্ণক লৈ ছুঁয়াকাটি হাবিলৈ লৰ ধৰিলে। লগৰীয়া গৰখীয়া ল'ৰা আৰু গোপিনী ছোৱালীবিলাকে কিছুপৰ অবাক্ হৈ চাই থাকি আতুৰভাৱে চিঁয়ৰিবলৈ ধৰিলে। কৃষ্ণপ্ৰাণ সৰু সৰু ল'ৰা-ছোৱালীবিলাকে মনত অকণো দৈত্যভয় নকৰি সেই দৈত্যাকাৰ মানুহটোৰ পিচে পিচে খেদা ধৰিলে। সিহঁতৰ পিচে পিচে গা-চোৱা গুৰিয়াল নেতা বলৰামেও গজেন্দ্ৰগতিৰে সেই মুখে আগ বাঢ়িলে। তাৰ পাচত, খেদি গৈ গৈ সকলোটিয়ে দেখিলেগৈ যে, গজেসিংহে লগাদি দৈত্যে-কৃষ্ণে বনভূমি কঁপাই মালযুঁজ কৰিছে। ল'ৰা-ছোৱালীবিলাকে প্ৰাণকৃষ্ণৰ বিঘ্ন আশঙ্কাত অস্থিৰ হৈ বলৰামক সহায় হৈ আগ বাঢ়িবলৈ কাকুতি কৰিবলৈ ধৰিলে। কৃষ্ণশক্তিৰ পৰিমাণ পোৱা বলৰামে এটি মিচিকিয়া হাঁহি মাৰি এই বুলি সমিচাৰ দিলে, "বাৰু, চাওঁইকচোন পৰে কোন্ আৰু উঠে কোন্।" পিচে, চাওঁতে চাওঁতে দেখা গল যে, শঙ্খীয়া আগ-খোপা ওপৰকৈ

---

(১) ব্ৰহ্মবৈবৰ্ত্তপুৰাণ মতে, এই শঙ্খচূড় গোলোকৰ শ্ৰীকৃষ্ণৰ সহচৰ শ্ৰীদাম। ৰাসেশ্বৰী ৰাধাৰ শাপগ্ৰস্ত হৈ, তেওঁ শঙ্খচূড় দৈত্যৰূপে পৃথিৱীত জন্ম ধৰেহি। শ্ৰীদামৰ ওলটা শাপগ্ৰস্তা হৈ, সেই স্বৰ্গৰ গোলোকেশ্বৰী ৰাধাই পৃথিৱীত গোকুলেশ্বৰী ৰাধাৰূপে জন্মগ্ৰহণ কৰেহি। পিচে, সিবিলাক দুয়োৰো উদ্ধাৰৰ অৰ্থে, গোলোকৰ শ্ৰীকৃষ্ণ স্বয়ং গোকুলত গৰখীয়াৰূপে অৱতাৰ হয়হি। সেই শঙ্খচূড়ৰ কাৰ্য্যৰ দ্বাৰাই শ্ৰীদামৰ পুনৰুদ্ধাৰ হয়।

ব্ৰহ্মবৈবৰ্ত্তপুৰাণ মতে, এয়ে পৃথিৱীত শ্ৰীৰাধা-কৃষ্ণৰ জন্মৰ মূল। কিন্তু, শ্ৰীমদ্ভাগৱত ইয়াৰ মূলতে অমিল; ব্ৰহ্মবৈবৰ্ত্ত মতে শঙ্খচূড় শ্ৰীকৃষ্ণৰ সহচৰ শ্ৰীদাম, কিন্তু ভগৱতৰ মতে শঙ্খচূড় কুবেৰৰ অনুচৰ এটা যক্ষ। হৰিবংশ আৰু বিষ্ণুপুৰাণ এই বিষয়ত নিমাত।

সেই দৈত্যহেন মানুহটো চিট্ হৈ মাটিত পৰিল, শ্ৰীকৃষ্ণই তাৰ বুকুৰ ওপৰত উঠি ভুকুৱাই গুৰিয়াই তাক তাতে বধ কৰিলে। তাৰ পাচত, তাৰ মূৰৰপৰা উজ্জ্বল শঙ্খমণিটো আনি অগ্ৰজ বলৰামক উপহাৰ দিলেহি[১]। ইয়াকে শঙ্খচূড় বধ বোলা যায়।

শঙ্খচূড় বধ হওঁতে-নহওঁতেই শুনা গল যে, অম্বিকা-থানৰপৰা "কৃষ্ণ কৃষ্ণ ত্ৰাহি ত্ৰাহি" স্বৰে আৰ্ত্তৰাৱ উঠিছে। শুনা মাত্ৰকে সকলোটিয়ে উধাতু খাই থানৰ মুখে উলটি লৰ ধৰিলে। গৈ দেখে যে, সৰ্ব্বনাশ! এটা প্ৰকাণ্ড অজগৰে নন্দৰাজক জীয়াই-জীয়াই গোটে-গোটে গিলিবলৈ ধৰিছে! অজগৰে ভৰিৰপৰা গিলি নি কঁকালৰ কাষ পাওঁতেই নন্দই সাৰ পাই "কৃষ্ণ কৃষ্ণ" বুলি চিঞঁৰিবলৈ ধৰিলে[২], আৰু থানৰ আশে-পাশে শুই থকা গোপ-গোপিনীবৰ্গে আৰ্ত্তৰাৱ কাঢ়ি উবুৰি খাই বেটি ধ্ৰুৰিলেগৈ। খুচি, কাটি, টঙনিয়াই যিমানেই এৰুৱাবৰ চেষ্টা কৰা হয়, সিমানেই সেই সাপটোৱে ফোঁচ্-ফোঁচ্‌কৈ গৰ্জ্জি উঠে, আৰু সিমানেই সি নন্দক টানকৈ চুহিবলৈ ধৰে। ৰাম-কৃষ্ণ বিবুদ্ধি হল। দুয়ো আতুৰ হৈ কান্দিবলৈ ধৰিলে। শ্ৰীকৃষ্ণক কেৱে কোনো বিপদত এনে আতুৰ আৰু অথিৰ হোৱা কেতিয়াও দেখা নাই। নিজৰ বিপদলৈ তো তেওঁ সততে আওকণীয়াই, অন্যৰ বিপদতো তেওঁ কদাপি ধৈৰ্য্য নেহেৰুৱায়। সেই দিনাহে তেওঁক বিপৰীত দেখা গল। নিজৰ পিতাক নন্দক বিপদে গৰাহ মাৰি ধৰা দেখি তেওঁ ধৈৰ্য্য হেৰুৱাই সামান্য ল'ৰাৰদৰে ককায়েকৰে সৈতে ভিঙ্গিত ধৰাধৰিকৈ বিনাবলৈ ধৰিলে। দুবৰিবনত নিয়ৰৰ পানী যেন দুধাৰি চকু-লো কৃষ্ণৰ দুগালে ধাৰে ববলৈ ধৰিলে। সেই আপদত ৰাম-কৃষ্ণৰ বিনিনিয়ে পিতৃ-প্ৰেমৰ যি অপূৰ্ব্ব মাধুৰ্য্য বিৰিঙ্গাই তুলিছিল, সি বাস্তৱতে বৰ্ণনাতীত। কিন্তু, ধৈৰ্য্যে এৰা দিলেও উপস্থিত বুদ্ধিয়ে শ্ৰীকৃষ্ণক কদাপি লগ-এৰা নিদিয়ে। তেওঁ ততালিকে লাওবাঁহী লৈ অজগৰৰ সমুখে নন্দৰাজৰ শিতানত থিয় দি শীতলা সুৰেৰে মোহিনীগট্ বাছি বাছি বজাবলৈ ধৰিলে। শুনি শুনি বাঁহীৰ সুৰত মুগ্ধ হৈ সাপে ৰ-লাগি বৈ চকু পিৰিকিয়াবলৈ ধৰিলে, আৰু তাৰ মেল খোৱা মুখ ক্ৰমাৎ মেল খাই বহল হৈ যাবলৈ ধৰিলে। তাৰ পাচত, শ্ৰীকৃষ্ণই লাফ্ মাৰি অজগৰৰ পিঠিত উঠি লৈ, আকৌ মোহিনী গটেৰে লাওবাঁহী বজাই বজাই ভৰি-আগৰ ৰুনুক-ঝুনুক টিপনী আৰু চেৱে-চেৱে কলিজা-লৰোৱা নেপুৰ ঝঙ্কাৰৰ গোৰোহনি মাৰি মাৰি নাচিবলৈ ধৰিলে। কৃষ্ণৰ নাচোনৰ চেৱে-চেৱে অজগৰে হোলোকা-হোলোকা তেজ বঁটিয়াবলৈ ধৰিলে, আৰু সেই চেৱেপতি এচিপ-এচিপকৈ নন্দৰ গিলা অংশ ওকালিত উলিয়াই পেলালে। এইদৰে এখনমান তামোল খোৱাৰ পৰত নন্দ সৰ্পগৰ্ভৰপৰা সম্পূৰ্ণে ওলাই পৰিল। তাৰ পাচত, তাতে তেতিয়াই খুচি-কাটি টঙনিয়াই সাপটো বধ কৰা হল। এই আচৰিত উদ্ধাৰত উপস্থিত নৰ-নাৰী সকলোৱে বিস্ময় মানিলে; আৰু পিতৃ গোপ-ৰাজ নন্দই পুত্ৰ শ্ৰীকৃষ্ণৰ ওচৰত সকাতৰে কৃতজ্ঞতা জ্ঞাপন কৰিলে। বিনয়ী কৃষ্ণৰ পক্ষে পিতাকৰ সেই আচৰণ অসহনীয় বোধ হোৱাত, তেওঁ তাৰপৰা সাউৎকৰে আঁতৰ হল।

বৃন্দাবনৰ অম্বিকাথানত নন্দোদ্ধাৰ ঘটনাৰ সামৰণ পৰাৰ লগে লগে ৰাতি ভাটী দিলে। সন্ধ্যাতে শুই জিৰণি লোৱা গোপ-গোপিনীসকলে হাততে হেৰুৱাবলৈ ধৰা নন্দৰাজক পুনঃ লাভ কৰি, তেওঁক মাজত লৈ বেৰি বহি মেল পাতিবলৈ ধৰিলে। সিফালে ভাগৰুৱা গৰখীয়া ল'ৰা আৰু গোপিনী-ছোৱালীবিলাকৰে সৈতে বৃন্দাবনবিহাৰী ৰাম-কৃষ্ণই ঠায়ে ঠায়ে সুচলকৈ মাটিত পৰি টোপনিৰ কোলাত জিৰণি ললেগৈ। সেই ছেগতে সেই শেহৰাতি অম্বিকাথানপ্ৰবাসী গোপ-গোপিনীৰ মেলত কৃষ্ণচৰিতৰ বিষয়ে মুকলি মনেৰে কোৱা-মেলা হবলৈ ধৰিলে। শ্ৰীকৃষ্ণ

---

(১) শঙ্খচূড়ং নিহত্যৈবং মনিমাদায় ভাস্বৰং।
অগ্ৰজায়াদদৎ প্ৰীত্যা পশ্যন্তীনাঞ্চ যোষিতাং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৪ আধ্যা, ২১ শ্লোক।

(২) সচুক্ৰোশাহিনা গ্ৰস্তঃ কৃষ্ণ কৃষ্ণ মহানয়ং।
সৰ্পো মাং গ্ৰসতে তাত প্ৰপন্নং পৰিমোচয়॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৪ আধ্যা, ৪ শ্লোক।

টোপনি যোৱা ছেগত সুবিধা পাই, সকলোটিয়ে একবাক্যে এনে অভিমত প্ৰকাশ কৰে যে, কৃষ্ণ সাধাৰণ নৰ নহয়; তেওঁ নৰদেহী ঈশ্বৰৰ অংশ। সাময়িক অপায় খণ্ডাই সৃষ্টি ৰক্ষা কৰাৰ উদ্দেশে স্বয়ং ভগবান সৃষ্টিপালক পৰমবিষ্ণু পৃথিৱীত সশৰীৰে অৱতাৰ হৈছেহি[১]। আৰু, শ্ৰীকৃষ্ণৰ লীলা-খেলাৰ গতি-গোত্ৰ আৰু আৰ্হিলৈ চালে এনে ধাৰণা হয় যে, গোলোকৰ গৰাকী শ্ৰীকৃষ্ণই ৰাসেশ্বৰী শ্ৰীৰাধাৰ পূৰ্ব্বশাপ[২] মোচনাৰ্থে পৃথিৱীত জন্ম লৈ গোকুল, ব্ৰজধাম, বৃন্দাবন পৱিত্ৰ কৰিছে হি। নহলে নো সেই সাংঘাতিক পুতনাৰ কৰাল আক্ৰমণৰপৰা বিনা-বেজ-জ্ঞানীৰ সহায়েৰে অদ্ভুতভাৱে কেঁচুৱা কৃষ্ণ ৰক্ষা পৰে নে? নহলে নো সেই যমদূতী হেন ভীষণ পখীয়ে গোপিনীৰ মাজৰপৰা থাপ্ মাৰি আকাশলৈ উৰাই নিয়া কৃষ্ণ অতি আচৰিতভাৱে আৰু নিৰাপদে উলটি বসুধাৰ বুকুত পৰেহি নে? নহলে নো সেই ভৰাগাড়ী ভাগি ভঙ্গা চক, কলহ আদিৰে সৈতে পোত্ যোৱা কৃষ্ণ বিস্ময়জনকৈ জীয়াই থাকেনে? নহলে নো সেই দহবছৰীয়া কৃষ্ণই গোবৰ্দ্ধন গিৰিক দাঙ্গি ধৰাদি ধৰি সেই হেন আপদত গোপ-উপনিবেশ অলৌকিকভাৱে ৰক্ষা কৰিব পাৰেনে? নহলে নো সেই এঘাৰবছৰীয়া কৃষ্ণই ৰাসযাত্ৰা আৰু দোলন যাত্ৰাৰ নিচিনা অপূৰ্ব্ব লীলা-খেলাৰ অৱতাৰণা কৰি বৃন্দাবনৰ ব্ৰজবাসীৰ অন্তৰত আপোন-পাহৰোৱা ৰাগি লগাব পাৰেনে? নহলে নো সাত বছৰীয়াৰপৰা চৈধ্যবছৰীয়া লৈকে ল'ৰা, চেঙ্গৰা আৰু চেমনীয়া কৃষ্ণই কালিয় দমন, ধেনুকাসুৰ বধ, প্ৰলম্বাসুৰ বধ, বৃষাসুৰ বধ, বকাসুৰ বধ, অঘাসুৰ বধ, কেশীদৈত্য বধ, ব্যোমাসুৰ বধ, অৰিষ্টাসুৰ বধ, শঙ্খচূড় বধ, আৰু সদৌশেহত এই কালান্তক অজগৰ বধ এইবোৰ অসাধাৰণ ক্ৰিয়া হেলাৰঙ্গে সম্পাদন কৰিব পাৰে নে? তাৰ উপৰিও, কেৱে নিশিকোৱাকৈ আৰু কেৱে নেদেখুৱাকৈ এনে মনোহৰ গীত-নাচ আৰু বাঁহীবাদন শ্ৰীকৃষ্ণই কেনেকৈ শিকিলে, কেনেকৈ জানিলে! অহ, বাওঁগালখনি বাওঁবাউসি-মূলত পাতি লৈ, ধেনুভিৰীয়া চেলাউৰি জুৰি নচুৱাই মিচিকিয়া মোহিনী হাঁহিৰে পৰমানন্দ শ্ৰীকৃষ্ণই কোমল আঙ্গুলিৰ আগেৰে বেণুৰ বিন্ধাৱলী টিপি টিপি যেতিয়া অধৰ-কমলেৰে বেণুত সুৰ দিয়ে[৩], তেতিয়া মৰ্ত্ত্য জগত বিমোহিত হয়, স্বৰ্গতো অমৰ বনিতাসকল স্ব-স্ব স্বামীসকলৰে সৈতে সহবাসত থাকোঁতেও সেই বেণুগীত শুনি অধীৰা হৈ পৰে, কৃষ্ণভাব হৃদয়ত উপচি পৰে! বনৰ ভীষণ জন্তু আৰু বিষধৰ সৰ্পকো বাঁহী বজাই বশ কৰিবলৈ কৃষ্ণক কোনে মন্ত্ৰ দিলে? বিষম ৰোগ-ব্যাধি আদিৰ বিকাৰ গুচাবলৈ এই আগ-বয়সতে কৃষ্ণ কেনেকৈ ইমান পৈণত বেজজ্ঞানী হৈ উঠিল! আমি কাৰ্য্যত দেখিছোঁহক কি?—দেখিছোঁ, য'তে বিপদ, ত'তে কৃষ্ণ; য'তে কৃষ্ণ, ত'তে ধৰ্ম্ম; য'তে ধৰ্ম্ম, ত'তে জয়। দেখি দেখি বিস্ময় মানিছোঁহক। তথাপি, মনৰ ভাব মনতে মাৰ নিয়াই মনে মনে আছোঁহক। কিয়?—প্ৰাণপ্ৰতিম শ্ৰীকৃষ্ণৰ কৰুণ হিয়াত কিবা স্বৰূপে আঘাত লাগে বুলি। ইয়াকো আমি লক্ষ্য নকৰাকৈ থকা নাইহঁক যে, সেই ভাব কথাৰে ব্যক্ত কৰা দূৰৈত থাওক, ভাৱে-ভঙ্গীৰে বুজালেও তেজাল কৃষ্ণ ততালিকে শেঁতা পৰি যায়! সি যি হওক, আমাৰ মনৰ ভাব মনতে থাওক, হৃদয়ৰ ভক্তি হৃদয়তে ৰওক, তাক কোনো প্ৰকাৰে ব্যক্ত কৰি প্ৰাণহৰি শ্ৰীকৃষ্ণৰ কৰুণ হিয়াত যেন আঘাত নলগাওঁহক। ইয়াৰ আগেয়ে বাৰচেৰেক আমাৰ সেই

(১) শ্ৰীকৃষ্ণ যে পৃথিৱীত বিষ্ণুৰ অৱতাৰ, ঈশ্বৰৰ অংশ, সেই ধাৰণাৰ মূলে সেইসূত্ৰতে ব্ৰজবাসীৰ অন্তৰত পোন্-প্ৰথমে থিত্ লয়। শ্ৰীকৃষ্ণৰ বাল্য-জীৱনত ভালেমান অদ্ভুত ঘটনা আৰু অসাধাৰণ কাৰ্য্য দেখি গোকুল-ব্ৰজ-বৃন্দাবনৰ নৰ-নাৰীৰ অন্তৰত তেনেকুৱা ভক্তিভাব ওপজাটো নিচেই স্বাভাৱিক। সিবিলাকৰ সেই ভক্তিভাব বিকাশেই হে আজিকালিৰ বৈষ্ণৱবৃন্দৰ কৃষ্ণভক্তি। (শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৪ আধ্যা, ১২ শ্লোক)।

(২) ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ, কৃষ্ণজন্ম-খণ্ডমতে যে শঙ্খচূড়-ৰূপী শ্ৰীকৃষ্ণই পূৰ্ব্বৰ প্ৰতিশ্ৰুতি পালন কৰে সেই বিষয়ে ওপৰত উল্লেখ কৰিয়াই অহা হৈছে।

(৩) বামবাহুকৃতবামকপোলো বল্গিতভ্ৰুৰধৰাৰ্পিতবেণুং।
কোমলাঙ্গুলীভিৰাশ্ৰিতমাৰ্গং গোপ্য ঈৰয়তি যত্ৰ মুকুন্দঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৫ আধ্যা, ১ম শ্লোক।

হৃদয়নাথ গোপালে স্পষ্টকৈ কৈ থৈছে যে, মানুহত বাজে আন বুলি ভাবিলে আমি তেওঁক হাততে হেৰুৱামহঁক। এতেকে, আমি আমাৰ মনোভাবৰ বাহ্যিক ব্যাপ্তি হৰলৈ নিদিয়াই যুগুত। শ্ৰীকৃষ্ণৰ ঈশ্বৰত্বত আমাৰ আন্তৰিক ভাব যি কি নহওক, কৃষ্ণ যে পৰম সন্ত, পৰম বলৱন্ত, পৰম বুদ্ধিমন্ত, পৰম প্ৰতিভাপন্ন, পৰম জ্ঞানৱন্ত, পৰম কাৰ্য্যক্ষম, পৰম ধৰ্ম্মপৰায়ণ, পৰম ন্যায়পৰায়ণ, পৰম পৰোপকাৰী, পৰম কৰুণাময়, আৰু কৃষ্ণৰ সেই স্বৰ্গীয় গুণাৱলী বিকাশৰ সাহায্যাৰ্থে যে ধীৰ-স্থিৰ-গম্ভীৰ অগ্ৰজ বলৰামৰ সহযোগিতা স্বাভাবিক, তাত ধনিষ্ঠামানো সন্দেহ নাই, তাক মুক্তকণ্ঠে স্বীকাৰ নকৰি নোৱাৰোঁহঁক। ইও ধ্ৰুৱ যে, শ্ৰীকৃষ্ণ আদৰ্শ মানৱ হলেও, গুণত ঈশ্বৰতুল্য পৰম পুৰুষ।* এই দৰে বয়সীয়া গোপ-গোপিনীসকলে, বিশেষকৈ কৃষ্ণ-আৰাধিকা গোপিনীবৰ্গে মন মুকলি কৰি কথাবাৰ্ত্তা পাতি থাকোঁতেই ৰাতি পুৱাল। অলপ পাচতে, পুব গগনত ৰঙা বেলিয়ে মূৰ উলিওৱা মাত্ৰে বলৰামৰ ৰাম-শিঙ্গা বাজি উঠিল, আৰু সকলোটি থৰ্‌থৰ্‌কৈ উঠি ওলটা-যাত্ৰাৰ নিমিত্তে সষ্টম হল।

একাদশ অধ্যা

দোলন যাত্ৰা †

শ্ৰীকৃষ্ণ ৰং-ধেমালি, আনন্দ-উৎসৱাদিৰ নিজৰাৰ নিচিনা। যি সময়ত যেনে ধৰণৰ ৰং-ধেমালিয়ে জন-সমাজৰ মনত ৰং লগাই দুখ-ভাগৰ পাহৰাব পাৰে, তেনে ধৰণৰ ৰং-ধেমালি উদ্ভাৱন আৰু প্ৰৱৰ্ত্তন কৰাত তেওঁ বৰ পাকৈত। যিবোৰ আনন্দ-উৎসৱে মানৱ হিয়াত সহজে শান্তি সঞ্চাৰ কৰিব পাৰে, সেইবোৰ আনন্দ-উৎসৱ পতাত তেওঁ বৰ কাজুৱা। যি বতৰত যেনে ধৰণৰ লীলা-খেলাই নৰ-নাৰীৰ অন্তৰত স্বভাৱতে জিৰণি সঞ্চাৰ কৰিব পাৰে, সেই বতৰত তেনে ধৰণৰ লীলা-খেলাৰ ৰীতি প্ৰচলন কৰাত তেওঁ অসাধাৰণ আৰু লোকৰঞ্জক নেতা। এইবোৰ গুণ শ্ৰীকৃষ্ণৰ স্বভাৱৰ লগৰীয়া। এইবোৰ কাৰ্য্য তেওঁৰ অসাধাৰণ প্ৰতিভাৰ চিন্। সেয়ে অকালত অপৰিমিতকৈ বিকাশ পোৱাৰ বাবে মাথোন তেওঁৰ ভক্ত গুণগ্ৰাহীয়ে তেওঁত অতি-প্ৰাকৃতিকতা, অলৌকিকতা আৰু ঈশ্বৰত্ব আৰোপ কৰিবলৈ সততে ব্যগ্ৰ হয়।

---

* বিনয়ী শ্ৰীকৃষ্ণৰ সাধুচৰিত্ৰে গোপ-উপনিবেশৰ জন-সমাজৰ মাজত কি ভাৱে স্বভাৱৰ প্ৰভুত্বৰ ফল ধৰাইছিল, গোপ-গোপিনীবৰ্গৰ এই গুপ্ত মন্তব্য তাৰ ফট্‌ফটীয়া চিন্। কৃষ্ণৰ প্ৰতি সিবিলাকৰ কিমান মৰম বেথা ই তাৰো চূড়ান্ত প্ৰমাণ। অদ্ভুত প্ৰতিভাশালী শ্ৰীকৃষ্ণৰ অভেদ্য কৌশলে সৰল প্ৰকৃতিৰ গোপ-গোপিনীক অলৌকিকৰপৰা লৌকিক সিদ্ধান্তলৈ যেনে মধুৰভাৱে নমাই আনিছে, তালৈ মন কৰিলে, অলৌকিকতা নলগালেও লৌকিকতাতকৈ চৰাই কিবা এটা অভাবনীয় গুণ তেওঁত আৰোপ নকৰিলে মনে নামানে।

† পদ্মপুৰাণমতে পোন-প্ৰথম দোলত-সভা বা দোলন-যাত্ৰা ইন্দ্ৰদ্যুম্ন ৰজাই কৃত্ৰিম বৃন্দাবনত পাতিছিল। এই বিষয়ত অন্যান্য পুৰাণাদি নিমাত। বৈষ্ণৱ সম্প্ৰদায়ে এই উৎসৱ অদ্যাপি ৰাসোৎসৱৰ আৰ্হিৰে সততে পতা দেখা যায়, ফাগুন মাহত পতা হয় কাৰণে, ইয়াক ফল্গুৎসৱো বোলা যায়। পিচে, এতিয়া কথা হৈছে, ইন্দ্ৰদ্যুম্ন কোন্ সময়ৰ লোক,—শ্ৰীকৃষ্ণৰ পূৰ্ব্ববৰ্ত্তী, নে পৰবৰ্ত্তী, নে সমসাময়িক? তেওঁ পূৰ্ব্ববৰ্ত্তী যদি, এই পূজা সত্য বা দ্বাপৰত বৃন্দাবনৰ শ্ৰীকৃষ্ণৰ উদ্দেশে হোৱা নাছিল। সমসাময়িক হলেও, সেই পূজা সেই শ্ৰীকৃষ্ণৰ উদ্দেশ্যে হোৱাটো যুক্তিযুক্ত নহয়। আৰু ইন্দ্ৰদ্যুম্ন ৰজাই কৃত্ৰিম বৃন্দাবন সাজি হে তাত এই পূজা পাতিছিল। বৃন্দাবনৰ শ্ৰীকৃষ্ণ এই পূজাৰ লক্ষ্য নহয় যদি, বৃন্দাবন দৃশ্য অৱতাৰণাৰ আৱশ্যক আছিল কি? তাৰ উপৰিও এই ইন্দ্ৰদ্যুম্ন ৰজাইয়ে পুৰীত জগন্নাথ মূৰ্ত্তি প্ৰতিষ্ঠা কৰায়। জগন্নাথৰ সেই তিনি মূৰ্ত্তিত কৃষ্ণ, বলৰাম আৰু সুভদ্ৰাক গঢ়িছে। যদিহে বৃন্দাবনৰ শ্ৰীকৃষ্ণ নহয়, তেন্তে তাত বলৰাম আৰু সুভদ্ৰাৰ সংযোগ কেনেকৈ হয়? ইত্যাদি যুক্তিৰ কটাকটিয়ে আমাক এই সিদ্ধান্তত তুলিছেগৈ নি যে, ইন্দ্ৰদ্যুম্ন বৃন্দাবনৰ শ্ৰীকৃষ্ণৰ পৰবৰ্ত্তী ৰজা। শ্ৰীকৃষ্ণই বৃন্দাবনত প্ৰৱৰ্ত্তোৱা দোলোৎসৱ, বা দোলনযাত্ৰা, বা ফল্গুৎসৱ, বা ফাকুৱা-পূজা শ্ৰীকৃষ্ণৰ পূজাৰ্থে তেওঁৰ পৰবৰ্ত্তী ইন্দ্ৰদ্যুম্ন ৰজাই পোন্ প্ৰথমে বৃন্দাবনৰ আৰ্হি লৈ পাতিছিল, আৰু তেওঁৰ আৰ্হি লৈয়ে সেই পূজা অদ্যাপি চলিব লাগিছে। ৰাসপূজাৰ প্ৰৱৰ্ত্তন আৰু উদ্দেশ্যৰে সৈতে এই পূজাৰ প্ৰৱৰ্ত্তন, প্ৰচলন আৰু উদ্দেশ্যৰ বিশদ সাদৃশ্য আছে।

বৰ্ষাৰ পাচত শৰৎ ঋতুত ৰাসযাত্ৰা পাতি শ্ৰীকৃষ্ণই যি উদ্দেশ্যে নাৰীৰ মনোৰঞ্জনৰ অৰ্থে এটি অভিনৱ উৎসৱৰ ৰীতি প্ৰৱৰ্ত্তায়, সেই উদ্দেশ্যে শীতৰ পাচত বসন্ত ঋতুত দোলন-যাত্ৰা পাতি নৰনাৰীৰ মনোৰঞ্জনাৰ্থে তেওঁ এটি অপূৰ্ব্ব আনন্দোৎসৱ প্ৰৱৰ্ত্তন কৰে। ৰাসযাত্ৰা কাতিমহীয়া শৰৎ-পূৰ্ণিমাত আৰু দোলনযাত্ৰা ফাগুনমহীয়া বসন্ত পূৰ্ণিমাত প্ৰৱৰ্ত্তন কৰা হয়। বাৰিষাৰ পৰিশ্ৰমৰ ভাগৰ গুচোৱাৰ উদ্দেশ্যে ৰাসযাত্ৰা, আৰু শীতৰ পৰিশ্ৰমৰ পাচত ভাগৰ পাতলোৱাৰ উদ্দেশ্যে দোলনযাত্ৰা প্ৰৱৰ্ত্তিত হয়। ধৰ্ম্মভাবৰ লগত সম্পৰ্ক থাকিলে মানুহৰ মন যেই-সেই বিষয়ৰ ফালে সহজে ঢাল খায়; সেই কাৰণে ৰাস-যাত্ৰা আৰু দোলনযাত্ৰা দুয়োতে ধৰ্ম্ম-সম্পৰ্ক বৰ্ত্তমান। ই শ্ৰীকৃষ্ণৰ অদ্ভুত কৌশলৰ নিদৰ্শন।

দোলনৰ আদৰ্শ অতি ওখ। জগতখনেই দোলায়মান। পৃথিবী সেই জগতৰ এটি অতি ক্ষুদ্ৰ অংশ মাথোন। সেই পৃথিবীৰ ওপৰত যি জীৱ-জন্তুৰ স্থিতি, সি ক্ষুদ্ৰাদপি ক্ষুদ্ৰ। এতেকে, সৃষ্টিখন যে আলাসত দুলিব লাগিছে, পৃথিবীখন যে নাগৰদোলা ঘূৰা দি শূন্যে শূন্যে ঘূৰিব লাগিছে, সেই মহান সৃষ্টি-ৰীতিৰ আৰ্হিৰে মহা প্ৰাকৃতিক পুৰুষ শ্ৰীকৃষ্ণই এই দোলনযাত্ৰা উৎসৱৰ ৰীতি প্ৰৱৰ্ত্তন কৰে। এই উৎসৱত কেইবাবিধৰো ৰং-ধেমালি লগ-লগোৱা হয়; তাৰ ভিতৰত দোলন-ক্ৰীড়া[১], নাগৰ-দোলাত ঘূৰা[২], ফাঁকু-খেলা[৩], চেৰেকাপানী মৰা, গৰখীয়া-দোল পতা, 'হোলি' নাম গাই বন-ভ্ৰমণ কৰা এইবোৰেই ঘাই।

ইতিপূৰ্ব্বে যি জোপা প্ৰকাণ্ড জৰীগছৰ কথা উনু-কিউৱা হৈছে, বৃন্দাবনৰ সেই জৰীগছজোপাৰ তলতে দোলন-যাত্ৰাৰ পোন-প্ৰথম উৎসৱ পতা হয়। ফাগুন-মহীয়া পূৰ্ণিমা-তিথিত বৃন্দাবনবাসী সদৌ গোপ-গোপিনী আৰু গৰখীয়া ল'ৰা-ছোৱালীৰে সৈতে ৰাম-কৃষ্ণই দোলন-যাত্ৰা উৎসৱ আৰম্ভ কৰে। সেই অৰ্থে, সেই গছৰ ফেৰমেলা ডালবোৰত ভালেমান দোলনৰ পাট জৰীয়ে অৰা হয়; আৰু ঠায়ে ঠায়ে মাটিত খোৰ-খুটা পুতি নাগৰদোলা পতা হয়; চৌকোণত চাৰিটা আৰু কেন্দ্ৰস্থলত এটা মাটিৰ ওখ গৰখীয়া-দোল বন্ধাই দি তাত জুমু-জুমুকৈ গৰখীয়া ল'ৰা ছোৱালীয়ে পৰস্পৰে ফাঁকু চটিয়াই আৰু চেৰেকাপানী মাৰি ৰং-চং হৈ উমলিবলৈ দিহা কৰা হয়। যাৰ যেনে মন যায়, সি সেইমতে দোলনৰ পাটত বহি জিলি[৪] খেদি, কিম্বা নাগৰদোলাত বহি আলাসত ঘূৰি, আৰু পৰস্পৰে হলিগলিকৈ গৰখীয়া ল'ৰা-ছোৱালীবিলাকে ফাঁকুৰে সৈতে ৰঙচুৱা দোলত চৰি উলাহেৰে উৎসৱৰ আনন্দত মগ্ন হয়। তাৰ উপৰিও, গোপ-গোপিনী, ল'ৰা-ছোৱালী সকলো সানমিহলি হৈ পৰস্পৰে খেদাখেদিকৈ ফাঁকু সনাসনি কৰি আনন্দত উধাও হয়;—কলিয়া কৃষ্ণ

(১) গছৰ ডালত বা ঘৰৰ চ'তীত জৰীৰে অঁটা এচটা পাটত উঠি ইফালৰপৰা সিফাললৈ আলাসত অহা-যোৱা কৰা ধেমালি। বৃন্দাবনত প্ৰবৰ্ত্তোৱা দোলন-ক্ৰীড়া পোন-প্ৰথমে গছৰ ডালত পাট আঁৰি কৰা হৈছিল। আজিকালি সেই তিথিত সেই ধেমালিৰ প্ৰৱৰ্ত্তক শ্ৰীকৃষ্ণক দোলায়মান খাটোলাত তুলি পূজা কৰা হয়।

(২) দুচটা কেৰেপীয়াকৈ লগোৱা কাঠৰ চাৰি মূৰত অঁৰা চাৰিখন খাটোলাত বহি যঁতৰৰ ভাউৰীত ঘূৰাদি ঘূৰি কৰা ধেমালি। একোখন খাটোলাত দুই-তিনি জনকৈও বহিব পাৰি; আৰু কেৰেপীয়া কাঠ তিনিচটাকৈও লগাই নাগৰদোলাত ছখনকৈও খাটোলা অঁৰা যায়। এই ধেমালিৰ প্ৰচলন পছিমাঞ্চলত বৰ প্ৰবল।

(৩) ফাঁকু-খেলত এই বুলি এটা হোলি-নাম গোৱা অদ্যাপি শুনা যায়; যেনে,—"গৰখীয়া ল'ৰা তই, ৰজাৰ জীয়াৰী মই, কিয় চকুতে মাৰিলি ফাকু"। এনে হোলি গীতে ইয়াকে সঙ্কেত দিয়ে যে, দোলনযাত্ৰা প্ৰৱৰ্ত্তাই শ্ৰীকৃষ্ণই সাম্যভাৱ বিস্তাৰৰ উদ্দেশ্যে মুনিহ-তিৰোতা, ল'ৰা-ছোৱালী, সৰু-বৰ, একেলগে সকলোৰে সৈতে সমানে ফাঁকু খেলিছিল। 'গৰখীয়া ল'ৰা' বুলি বৃন্দাবনৰ শ্ৰীকৃষ্ণক লক্ষ্য কৰা হৈছে। গীতটো আধুনিক হেতুকে তাত 'ৰজাৰ জীয়াৰী'ৰ অভিমান ফুটি ওলাইছে।

(৪) ওপৰত টীকাত ব্যাখ্যা দিয়া 'দোলন-ক্ৰীড়া'কে 'জিলি' বা 'জিলি খেদা' বোলা হয়। অৰ্থাৎ, দোলনৰ পাটচটাত বহি জিলিৰ দৰে পাখি মেলি চোঁ-কৰে উৰি যোৱাৰ আৰ্হিত ইয়াৰ নাম জিলি-খেদা হৈছে।

তাৰ মাজত সবাৰুকে সমভাৱে উলাহ লগাই কেন্দ্ৰৰূপে জিলিকে!

এই দোলন-যাত্ৰাৰ উৎসৱ দুদিন ব্যাপি চলে। প্ৰথম দিনৰ আৰু প্ৰথম ৰাতিৰ ৰং-ধেমালিৰ কথা ওপৰত উনুকিউৱা হৈছে। দ্বিতীয় দিনা সকলোৱে মিলি হোলি-গীত গাই আৰু লগে লগে ফাঁকু-মৰা ধেমালি আদিৰে সৈতে বৃন্দাবন ভ্ৰমণ কৰি, আবেলি গৰু-গাই চপাবৰ বেলিকা কোলাকুলি-চুমাচুমিৰে সৈতে পৰস্পৰে আনন্দ-বিদায় লোৱালুইকৈ ঘৰাঘৰি হয়।

দ্বাদশ আধ্যা

প্ৰথম ছেদ

কেশী-বধ,—কেশৱ

গোকুলৰপৰা উঠি অহাৰ কিছুমান দিনৰ পাচত, গোপ-উপনিবেশৰ বিঘ্ন উৎপাদক এটা দৈত্য হেন জন্তু বৃন্দাবনত সোমালহি। জন্তুটো ঘোঁৰাৰ নিচিনা ডিঙ্গি ঘোৰ-খোৰা, গল্‌ধনত দীঘল চুলি বা কেশ [১]। কেশযুক্ত গ্ৰীবা, এই অৰ্থতে জন্তুটোক কেশী বোলা হয়। ইয়াৰ সম্ভেদ পাই শ্ৰীকৃষ্ণই তলে তলে তাৰ সন্ধান লবলৈ ধৰিলে, তেওঁ তাৰ খোজ ধৰি ধৰি তাক বিচৰা হল। পিচে, এদিন গৰখীয়াবৃন্দৰে সৈতে ৰাম-কৃষ্ণই গৰু চৰাই ধেমালি কৰি থাকোঁতে কালিন্দীপাৰৰ জোপা এটাৰ মাজৰপৰা ওলাই ঢেকৃঢেকাই সেই কেশীটোৱে গৰখীয়া ল'ৰাজাকলৈ খেদি আহিল। গৰখীয়াবৃন্দে ভয়ত চিয়ঁৰ-বাখৰ লগাই 'বলাইক' (বলৰাম) আশ্ৰয়ৰ কেন্দ্ৰ কৰি আতুৰভাৱে বেৰি ধৰিলে হি। এনেতে, ছেগ বুজি কানাইয়ে (শ্ৰীকৃষ্ণ) কেশীৰ ফালে দুখোজ আগ বাঢি গৈ ফেৰ পাতি ধৰিলেগৈ। কেশীয়েও কৃষ্ণৰ উদ্দেশে মুখ মেলি ঢেক্‌-ঢেকাই ঢপলিয়াই আহিল। ইতি অৱসৰতে উপস্থিত বুদ্ধিমান শ্ৰীকৃষ্ণই বাওঁহাতৰ মুঠি সাপৰ গাঁতত ভৰোৱাৰ নিচিনাকৈ ঠাৰিলেকে কেশীৰ মেলা মুখৰ ভিতৰলৈ সাউৎ-কৰে সুমাই দি, ক্ৰমাৎ গুঁজিবলৈ ধৰিলে [২], আৰু ইহাতে তাৰ দীঘল কেশত ধৰি তাক মাটিত বগৰাই পেলালে। তাৰ পাচত, তাৰ বুকুত গোৰোহনি মাৰি তাক জিভা মেলাই পেলাই লৈ ততালিকে শ্ৰীকৃষ্ণই সোঁহাতেৰে সেই জিভাত ধৰি বাজলৈ টানি উলিয়াই বাঁওহাতৰ কাপোৰ মেৰোৱা মুঠি তাৰ নেলুৰ ভিতৰলৈ ক্ৰমাৎ টানকৈ হেচি সুমুৱাই নিলে। এনে অৱস্থাত অস্থিৰ হৈ সি চট্‌ফটাবলৈ ধৰিলে, আৰু অলপ পাচতে উশাহ নিৰোধ হৈ তাৰ তাতে মৃত্যু হল [৩]। কেশী দৈত্য নিধন হোৱা দেখি, গোপ-গোপিনীসকলৰ মনত অপাৰ আনন্দ মিলিল। এই 'কেশীবধ'ৰ আপাহতে শ্ৰীকৃষ্ণক 'কেশৱ' বোলা হয়। [৪]

দ্বিতীয় ছেদ

ব্যোমাসুৰ-বধ

ৰাসযাত্ৰা, গৰখীয়া-সবাহ, দোলনযাত্ৰা আদি বিবিধ আনন্দ-উৎসৱৰ পৰ্ব্বনিৰ্ব্বন্ধ কৰি শ্ৰীকৃষ্ণই পুনৰপি গোপালৰ

---

(১) সম্ভৱতঃ ই এবিধ ঘোঁৰাচানেকীয়া সিংহ বা জেব্ৰা। অতীজত মধুবন আচল সিংহবন আছিল। মধুবনত মথুৰা নগৰী প্ৰতিষ্ঠিত হোৱাৰ পাচত, তাৰ সিংহবিলাক বৃন্দাবনত সোমায়গৈ, তাৰ পাচত সিহঁত আৰ্য্যাবৰ্ত্তৰ নানা ফালে সিঁচৰিত হৈ পৰিল। সদৌশেহত সিংহৰ আধুনিক ঘাই-খলি হল সুন্দৰবন। 'মধুবন' 'সিংহবন', 'সুন্দৰবন' চানেকীত পৰস্পৰৰ সৰ্ব্বতোভাৱে সাদৃশ্য আছে।

(২) সোঽপ্যস্যবক্ত্ৰে ভুজমুত্তৰং স্ময়ন্।

প্ৰবেশয়ামাস যথোৰগং বিলে॥

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৭ আধ্যা, ৫ম শ্লোক।

(৩) সমেধমানেন স কৃষ্ণবাহুনা নিৰুদ্ধবায়ুশ্চৰণাংশ্চ নিক্ষিপন।

প্ৰস্বিন্নগাত্ৰঃ পৰিবৃত্তলোচনঃ পপাতলণ্ডং বিসৃজন্‌ক্ষিতৌব্যসুঃ॥

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৭ আধ্যা, ৭ম শ্লোক।

(৪) (ক) বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, ২০ আধ্যা।

(খ) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৮০ আধ্যা।

লীলাত ধৰিলেগৈ। লগৰীয়া গৰখীয়াবৃন্দৰে সৈতে বৃন্দাবনৰ বনে বনে গৰু চৰাই ফুৰি ৰাম-কৃষ্ণই মহা আনন্দেৰে দিন নিয়াবলৈ ধৰিলে। বৃন্দাবনৰ বনশত্ৰু প্ৰায় আটাইবিলাক নিপাত কৰি শ্ৰীকৃষ্ণই গোপ-উপনিবেশ নিৰাপদ কৰাত, এতিয়া গোপ-গোপিনীসকল গৃহস্থালী কাৰ্য্যত নিশ্চিন্তে মনোযোগ দিব পৰা হল, গৰখীয়াবিলাকে নিৰ্ভয়ে গৰু চৰাই ফুৰিব পৰা হল। গতিকে, বৃন্দাবনত ব্ৰজবাসীৰ সুখ-শান্তি ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে।

কিন্তু, বৃন্দাবনবাসীৰ সিমানতো আকৌ এটা নতুন অপায় মিলিল। ক'ৰবাৰপৰা আহি এটা অঘাইত চোৰে বৃন্দাবনত গুপ্তবাস কৰিলেহি। তাক কেৱে দেখা নাপায় কিন্তু তাৰ অপকৰ্ম্ম য'তে-ত'তে দেখা যায়। সি যেন শূন্যে শূন্যে ভ্ৰমে, সকলোৰে মনত এনে ধাৰণা হল। আৰু, সেই আপাহতে তাক ব্যোম-অসুৰ বোলা হয়। অন্যান্য বয়-বস্তু চুৰ কৰাৰ উপৰিও, সি ঘাইকৈ সৰু ল'ৰা-ছোৱালী আৰু গৰু-পোৱালি চুৰ কৰিছিল। অলপ দিনৰ ভিতৰত সেই অসুৰ যেন চোৰটোৰ অপকৰ্ম্মৰ ফলস্বৰূপে বৃন্দাবনত গৰখীয়া ল'ৰা আৰু গৰু-পোৱালিৰ লেখ বৰ শোচনীয়কৈ পৰি যাবলৈ ধৰিলে।[১] সেই কথাত শ্ৰীকৃষ্ণ অতিকৈ ব্যথিত হল। সেই গভাইদ্ চোৰটোক কেনেকৈ ধৰি নিপাত কৰিব তাৰ নিমিত্তে তেওঁ চিন্তিত হল, আৰু সেই চিন্তা লৈয়ে কৃষ্ণ আৰু বলৰামে তন্ন-তন্নকৈ বৃন্দাবনৰ বন ভ্ৰমিবলৈ ধৰিলে। সেই উদ্দেশ্যে ঘূৰোঁতে-ফুৰোঁতে এদিন চোৰ শ্ৰীকৃষ্ণৰ চকুত ধৰা পৰিল। সি বাস্তৱতে এটা অসুৰ যেন ভীষণ বনমানুহ।[২] সি এটা জোপাৰপৰা ওলাই থাপ্ মাৰি সৰু গৰখীয়া ল'ৰা এটি ধৰি লৈ গোবৰ্দ্ধন গিৰিৰ গুহালৈ ঢাপলি ধৰিছে, এনেতে শ্ৰীকৃষ্ণই দেখা পাই তাক পিচে পিচে খেদি নিলে। গৈ সেই চোৰ বনমানুহটোৰ গুপ্ত-গুহা পালেগৈ। গৈ পাই, তেওঁ দেখে যে, তেওঁৰ প্ৰিয় লগৰীয়া ভালেমান গৰখীয়া ল'ৰা আৰু বহুত গৰু-পোৱালি শিলেৰে বেড়া গঁৰাল এটাত বন্দী কৰি থোৱা আছে।[৩] দেখি শ্ৰীকৃষ্ণৰ কৰুণ হিয়া শোকত বিগলিত হবলৈ ধৰিলে। তেওঁ আৰু সৰহ পৰ সহিব নোৱাৰি একে লাফে গৈ সেই বনমানুহ চোৰটোৰ ওপৰত পৰি তাৰ চুলিত ধৰি তাক দোঁৱাই লৈ তাৰ পিঠিত ঔ-কিল পাৰিবলৈ ধৰিলে। সিও এটা বৰ ওখ-ডাঙৰ আৰু বলী বন মানুহ; শ্ৰীকৃষ্ণৰ কিল-গোৰ খাই, শেহত সিও উলটি ধৰিলে। দুইৰো মাজত এখন দোৰ্ঘোৰ মাল-যুঁজ লাগিল। যুঁজত বহু পৰলৈকে এজনে আন জনক জিনিব পৰা নাছিল। পিচে, আৰু এখনমান-তামোল-খাবৰ-পৰ অকলশৰীয়াকৈ যুঁজি মহাবাহু শ্ৰীকৃষ্ণই সেই অসুৰ হেন দুৰ্দান্ত বনমানুহটোক তলপেলাই লৈ, তাৰ কাণসটাত কিলাকুটী বাহ্যং দি তাক তাতে নিপাত কৰিলে। এয়ে 'ব্যোমদৈত্য বধ'।

ত্ৰয়োদশ আধ্যা

কৃষ্ণবধৰ মন্ত্ৰণা

শ্ৰীকৃষ্ণৰ কীৰ্ত্তি-কলাপ বিষয়ক বা-বতৰা ক্ৰমাৎ ভাৰতৰ চৌপাশে বৈ-বৈ যাবলৈ ধৰিলে। শিশু কৃষ্ণৰ অসাধাৰণ বল-বীৰ্য্য, অদ্ভুত প্ৰতিভা, আচৰিত বুদ্ধি, অতিশয় লোক-ৰঞ্জকতা, অযাচিত নেতৃত্ব ইত্যাদি বিষয়ক যশস্যা ভাৰতময় ৰাষ্ট্ৰ হৈ পৰিল। চেমনীয়া শ্ৰীকৃষ্ণৰ অপূৰ্ব্ব কৌশল, অসামান্য বিক্ৰম আৰু তেওঁৰ দুৰ্জ্জয় গৰখীয়া সৈনিকদলৰ

---

(১) ময়পুত্ৰো মহামায়ো ব্যোমো গোপালবেশধৃক্।
মেষায়িতানপোবাহ প্ৰায়শ্চৌৰায়িতো বহূন্॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৭ আধ্যা, ২৩ শ্লোক।

(২) সি ময় নামে দানৱৰ পুত্ৰ। মায়াবী হৈ (অলক্ষিতে) নিজৰ গুপ্ত অভিসন্ধি কাৰ্য্যৰ পৰিণত কৰাত সি বৰ পাকৈত; সেই আপাহতে; শূন্য বা অদৃশ্য আকাশী বুলি সি ব্যোমাসুৰ নামে অভিহিত।

(৩) গিৰিদৰ্য্যাং বিনিক্ষিপ্য নীতং মহাসুৰঃ।
শিলয়া পিদধে দ্বাৰং চতুঃপঞ্চাৱশেষিতাঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৭ আধ্যা, ২৪ শ্লোক।

অথও প্ৰতাপত ঠাৱৰিব নোৱাৰি ভয়ঙ্কৰ নাগজাতি প্ৰমুখ্যে বৃন্দাবনৰ আদি-অধিবাসীবিলাকো তেওঁৰ আজ্ঞাধীন হৈ পৰিল।

পাঁচ মাইলমানৰ মাথোন আঁতৰত, মথুৰাত সদায় সশঙ্কিত কংস ৰাজৰ শহা-কাণতো কৃষ্ণ-বিক্রমৰ কাহিনী সঘনে পৰিবলৈ ধৰিলে। গতিকে, তেওঁ কেতিয়াবাৰেপৰা সেই জুই যেন হৈ বাঢ়ি অহা কৃষ্ণৰ প্ৰতাপ-কাহিনীৰ সম্বেদ পাই ক্ৰমাৎ বিচলিত হৈ আহিল। কালিয়দমন, ধেনুকাসুৰবধ, প্ৰলম্ববধ, বকাসুৰবধ, অঘাসুৰবধ, কেশীবধ, অৰিষ্টাসুৰবধ, ব্যোমাসুৰবধ, ইত্যাদি ঘটনাৱলী সংক্ৰান্ত শিশুকৃষ্ণৰ বল-বীৰ্য্য ; ইন্দ্ৰযজ্ঞভঙ্গ, গোৱৰ্দ্ধনধাৰণ, ৰসযাত্ৰা, দোলনযাত্ৰা আদি ধৰ্ম্ম আৰু সমাজ সংস্কাৰমূলক অসাধাৰণ অনুষ্ঠানত চেঙ্গেৰা কৃষ্ণৰ নেতৃত্ব, আৰু গোপ-সৈনিকদল (সংসপ্তক সেনা) সংগঠনাদি সুমহৎ ৰাজনৈতিক কাৰ্য্যাদিত চেমনীয়া কৃষ্ণৰ অদ্ভুত প্ৰতিভা ইত্যাদি বিষয়ক যথাযথ সংবাদ পাই কংস আতঙ্কত টলিবলৈ ধৰিলে। পাচলৈ তেওঁ বৃন্দাবনত চোৰাংচোৱা নিয়োজন কৰি ৰাম-কৃষ্ণৰ বিষয়ে সবিশেষ সন্ধান লবলৈ গুপুত বাৱস্থা কৰিলে[১]। যেতিয়া কংসই সঠিককৈ জানি উঠিলে যে, ৰাম আৰু কৃষ্ণ বসুদেৱৰ ৰোহিণী আৰু দৈৱকীৰ গৰ্ত্তজাত সন্তান, তেতিয়াৰেপৰা তেওঁ ভিতৰি ভয়ত বিহ্বল হবলৈ ধৰিলে। আৰু, যেতিয়া তেওঁ বুজি উঠিল যে, কৃষ্ণ আন নহয়, সেই দৈববাণী প্ৰসূত "দৈৱকীৰ অষ্টম গৰ্ত্তজাত সন্তান", তেতিয়া কংস প্ৰকাশ্যে অস্থিৰ হৈ পৰিল। শেহান্তৰত, কৃষ্ণ-ভয়-চিন্তাই কংসৰ লগ নেৰা হল ; তেওঁ সপোনতো প্ৰাণান্তক কৃষ্ণমূৰ্ত্তি দেখা হল!

সেই ভাৱেই ভালেমান দিন পাৰ হল। কংস ৰজাই এদিন মন্ত্ৰী, পাৰিষদ, পুৰোহিত আদি ৰাজাৰ জ্ঞানীলোক-সকলক গোটাই লৈ সভাস্থলত নিজৰ মনোভাব ব্যক্ত কৰিলে। কি সহজ আৰু অব্যৰ্থ উপায়েৰে কৃষ্ণক বধিব পৰা যাব, তাৰ আলচ পতা হল। মন্ত্ৰী আৰু পাৰিষদবৰ্গৰ ভিতৰত যেয়ে যেনে ভাল ভাবিলে, সেয়ে সেই মতে নিজ নিজ অভিমত প্ৰকাশ কৰিলে। সদৌশেহত পুৰোহিতে এই বুলি সিদ্ধান্ত দিলে, "মথুৰাধিপতি কংসৰাজে এটা ধনুৰ্যজ্ঞৰ অনুষ্ঠান কৰি তালৈ চৌদিশে নিমন্ত্ৰণ ঘোষণা কৰি দিয়ক ; তাৰ লগতে বৃন্দাবনৰ অধিপতি নন্দৰাজকো নিমন্ত্ৰণ দিয়া হওক, তেওঁ যাতে ৰাম-কৃষ্ণক লগত লৈ যথাসময়ত যজ্ঞস্থলত উপস্থিত হয়হি। নিমন্ত্ৰণ ৰক্ষাৰ্থে নন্দ যেতিয়া মথুৰা সোমাবহি, সেই ছেগতে অতি সহজে কৃষ্ণক বধিবপৰা যাব। এই অৰ্থে চৌদিশে দূত আৰু কটকী পঠিয়াই নিমন্ত্ৰণ ঘোষণা কৰা হওক ; কিন্তু বৃন্দাবনলৈ নিমন্ত্ৰণ স্বয়ং বসুদেৱ, নাইবা অক্ৰূৰৰ যোগে পঠিয়াব লাগে, তেহে সি আশু গুণ দিব।" পুৰোহিতৰ সিদ্ধান্ত সাদৰে গৃহীত হল, আৰু সেই অনুসৰি ততালিকে বসুদেৱক ধৰাই আনি ৰাজাজ্ঞা শুনোৱা গল যে, কটকীৰ বাব লৈ বৃন্দাবনলৈ গৈ ৰাম-কৃষ্ণক আনি দিবহি পাৰিলে তেওঁক বন্দীশালৰপৰা একেবাৰে মুক্তি দিয়া যাব। কিন্তু, কংস ৰজাৰ পাপ-অভিসন্ধিৰ সম্বেদ পাই বসুসদৃশ বসুদেৱে সেই আজ্ঞা সদৰ্পে দলিয়াই পেলাই, তেওঁ পুনৰপি বন্দীশাললৈ উলটি যাবলৈ অক্ষুণ্ণমনেৰে অগ্ৰসৰ হল। বসুদেৱৰ সেই আচৰণত হতাশ হৈ কংস ৰজাই তেওঁক মধুৰ আৰু কটু-ভাৱে পুনঃ পুনঃ বিবিধ বিধানেৰে বিস্তৰ বুজাবলৈ ধৰিলে ; কিন্তু একোপধ্যে বসুদেৱক টলাব পৰা নগল। শেহান্তৰত কংসই ৰুদ্ৰমূৰ্ত্তি ধৰি বসুদেৱক এই বুলি বিভীষিকা দেখুৱাই ককৰ্থনা কৰিবলৈ ধৰিলে,—"বসুদেৱ, মহামূৰ্খ! নহলে, তই আপোনাৰ যম আপুনি মাতি নললিহেঁতেন। তই নাভাবিলি যে, যেনেকৈ দুই হাতীৰ যুঁজৰ মাজত গছ-গছনিবোৰৰ মৰণ মিলে, আৰু যুঁজ ভাগিলে সেইবোৰ

(১) বিষ্ণুপুৰাণ আৰু হৰিবংশ মতে দেৱৰ্ষি নাৰদে হে বৃন্দাবনৰ ৰাম-কৃষ্ণৰ সংবাদ মথুৰাধিপতি কংসৰাজৰ আগত তিলকে তাল কৰি জ্ঞাপন কৰেহি। শ্ৰীকৃষ্ণ যে দৈৱকীৰ অষ্টম গৰ্ভজাত সন্তান, সেই বিষয়ে নাৰদৰ মুখে হে কংসৰাজে সঠিক সম্বেদ পায় ; নহলে তেওঁ যশোদাৰ কন্যা যোগমায়াক দৈৱকীৰ সন্তান বুলি বধ কৰি তেতিয়ালৈকে নিশ্চিন্ত থকাৰ দৰে আগলৈকে থাকিলহেঁতেন।—বিষ্ণু-পুৰাণ, পঞ্চম খণ্ড, ১৯শ আধ্যা ; হৰিবংশ, বিষ্ণুপৰ্ব্ব খণ্ড, ৭৮ আধ্যা।

সেই হাতীৰেই আহাৰ হয়, তেনেকৈয়ে আত্মীয়-কুটুম্ব, বন্ধু-বান্ধৱাদিৰ মাজত বিবাদ উপস্থিত হলে স্বজন নাইবা ইতৰ মধ্যস্থ মানুহৰ মৰণ মিলে। হেৰ, অগুণকাৰী, গগুপী' তই জানিবি এশবছৰীয়া[১] পকামূৰীয়া হলেই যে বুঢ়া বোলাব পাৰি সেইটো নহয়, বুঢ়া বোলাবলৈ জ্ঞান-বুদ্ধিত পৈণত হোৱাৰ প্ৰয়োজন। বসুদেৱ, তই ভাবিছ যে, তোৰ ৰাম-কৃষ্ণ নামে পুতেৰহঁতে মোক বধ কৰি তোক ৰজা পাতিবহি; কিন্তু তোৰ সেই দুৰাশাৰ তই বিপৰীত ফল পাবি, তোৰ সেই গৰখীয়া পুতেৰহঁতক অনতিপলমে ধৰাই আনি তোৰ চকুৰ আগতে বধ কৰোৱা হব।" সাগৰ যেন গম্ভীৰ প্ৰকৃতি বসুসদৃশ্ বসুদেৱক কিন্তু অশেষ ককৰ্থনা আৰু বিভীষিকায়ো টলাব নোৱাৰিলে, তেওঁ অকাতৰে আকৌ বন্দীশাললৈ গতি কৰিলে। তাৰ পাচত, কংসৰাজে অক্ৰূৰক মতাই আনি এই বুলি তেওঁক আজ্ঞা দিলে, "হে দানপতি! তুমি পৰম জ্ঞানী আৰু ৰাজভক্ত। তুমি ৰজাৰ হৈ তুৰন্তে বৃন্দাবনলৈ গৈ নন্দৰাজ সমন্বিতে ৰাম-কৃষ্ণক লৈ আহাঁগৈ; নন্দক কবাঁ, তেওঁ যেন এই বাৰ্ষিক শোধাবলগীয়া কৰ[২] সমুদায় লগতে উচলকৈ লৈ আহে। আৰু, কবাঁ যে কৃষ্ণ আৰু সঙ্কৰ্ষণ নামে বসুদেৱ-নন্দন যুগলক দেখা পাবলৈ কংসৰাজে বৰ হাবিয়াস কৰিছে। কবাঁগৈ, মথুৰাধিপতিয়ে শুনি বৰ ৰং পাইছে যে, সেই যাদৱ কোঁৱৰ দুটি বৰ পাহুৱাল, যত্নপৰায়ণ, যুদ্ধনিপুণ আৰু ৰঙ্গালয়ত সময়ানুৰূপ ৰণপ্ৰদৰ্শনত পাকৈত। সিবিলাক যেনে পাকৈত, তেনে পৈণত আমাৰো দুজন মালযুঁজাৰুৱে সিবিলাকৰে সৈতে যুঁজি ৰঙ্গমঞ্চত ৰং দেখুৱাবলৈ ৰং মনেৰে সাজু হৈছে। বিশেষ, সেই অমৰসদৃশ যোধপ্ৰধান বনচৰ ব্ৰজবাসী যাদৱ কোঁৱৰ দুটি মোৰ ভাগিন হয়, এতেকে আগন্তুক মহাযজ্ঞানুষ্ঠানত সিবিলাক অৱশ্যে দৰ্শনীয়। হে অক্ৰূৰ! কি কম, কৃষ্ণ আৰু সঙ্কৰ্ষণক দেখা পাবলৈ মোৰ মনত বৰ কৌতুহল হৈছে, গতিকে তুমি বৃন্দাবনলৈ গৈ সেই কোঁৱৰদ্বয়ক অনতিপলমে মথুৰাত উপস্থিত কৰাবহি লাগে। সিবিলাক নিতান্ত যদি নাহে, তেন্তে মই বলেৰে ধৰাই আনিবলৈ বাধ্য হম; কিন্তু, পাৰিতপক্ষে সংপ্ৰীতিৰে সৈতে উদ্দেশ্য সাধন কৰাই শ্ৰেয়ঃ, এতেকে পোনতে মিঠামুখেৰে মান্তি কৰাবলৈ চাব লাগে। হে দানপতি! অধিক আৰু তোমাক কি কম, যেনে-তেনে উপায়েৰে তুমি ৰাম-কৃষ্ণক বৃন্দাবনৰপৰা মথুৰালৈ আনি দি মোৰ অনুগ্ৰহভাজন হবলৈ চাবাঁ।" বুদ্ধিমান্ যাদৱ কোঁৱৰ অক্ৰূৰক সেই বাব যচা মাত্ৰে তেওঁ আনন্দ-মনেৰে ৰাজ-আজ্ঞা শিৰোধাৰ্য্য বুলি গ্ৰহণ কৰিলে, আৰু অনতিপলমে বৃন্দাবনযাত্ৰা কৰিবলৈ প্ৰতিশ্ৰুত হল।[৩]

যাদৱ কোঁৱৰসকলৰ ভিতৰত অক্ৰূৰ এজন অসাধাৰণ ৰাজনৈতিক পণ্ডিত, অতিশয় ধৰ্ম্মপৰায়ণ পুৰুষ, পৰম বৈষ্ণৱ, সুচতুৰ সমাজনেতা, আৰু বিচক্ষণীয়া যোদ্ধা। সম্বন্ধত তেওঁ শ্ৰীকৃষ্ণৰ দদায়েক হয়। গতিকে, পিতাক বসুদেৱক পঠিয়াব নোৱাৰাত, দদায়েক অক্ৰূৰকে ৰাম-কৃষ্ণক বৃন্দাবনৰ-পৰা মথুৰালৈ অনাৰ বাব দিয়া যায়। অক্ৰূৰে উলাহেৰে সেইবাব গ্ৰহণ কৰাত কংসৰাজৰ মনত বৰ আনন্দ লাগিল, আৰু ৰাম-কৃষ্ণক সুকৌশলেৰে মথুৰালৈ অনোৱা বিষয়ত তেওঁ নিশ্চিন্ত হল; কিয়নো, অক্ৰূৰৰ বুদ্ধি-কৌশলত তেওঁৰ অটল বিশ্বাস আছিল। কিন্তু, সেই বাব গ্ৰহণ কৰাত অক্ৰূৰৰ আনন্দ কিয়, বৃন্দাবনযাত্ৰালৈ অক্ৰূৰ কিয় উলাহিত হৈ ওলাইছিল, তাৰ গূঢ়াৰ্থ পাপমতি কংসৰজাই নুবুজিলে। এহাতে, কংস ৰজাৰ অত্যাচাৰত যাদৱসকল জৰ্জ্জৰিত, দৈৱকী-বসুদেৱৰ প্ৰতি পাশৱ ব্যৱহাৰত মথুৰাবাসীৰ মৰ্ম্মান্তিক সহবেদনা, "মথুৰাৰ কানু গোকুলত ভানু উদয়" হোৱা বাবে যাদৱ বংশৰ অপমান ইত্যাদি কথাত অক্ৰূৰৰ অন্তৰ জলি আছিল; আনহাতে, বৃন্দাবনত নিজ বংশজ

---

(১) সেই সময়ত বসুদেৱ এশ-বছৰীয়া বুঢ়া। এতেকে কৃষ্ণৰ সেই কালৰ বয়স ১৪ চৈধ্য বছৰমান বাদ দি ধৰিলে, কৃষ্ণ-জন্ম-ক্ষণত বসুদেৱৰ বয়স ৮৬ বছৰমান হৈছিল। অতি বুঢ়া বয়সৰ সন্তান হেতুকে কৃষ্ণ অতি বুদ্ধিমান।

(২) ওপৰত যথাঠাইত উনুকিয়াই অহা হৈছে যে, নন্দ প্ৰমুখ্যে গোপবৰ্গ আৰু সদৌ ব্ৰজবাসী মথুৰাধিপতি কৰতলীয়া আছিল।

(৩) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৭৮ আধ্যা।

যদুমণি শ্ৰীকৃষ্ণৰ মহাত্মা বিষয়ে শুনি শুনি তেওঁৰ প্ৰাণত কৃষ্ণদৰ্শনৰ ধাউতি প্ৰবল হৈ উঠিছিল[১]। গতিকে, এনে শুভছেগত বৃন্দাবনযাত্ৰালৈ ৰাজাজ্ঞা পাই অক্ৰূৰে আপোনাৰ ভাগ্য আপুনি প্ৰসন্ন হোৱা বুলিহে মানিলে[২]। দূৰদৰ্শী মতিমান অক্ৰূৰে দেখিলে যে, সেই চলতে তেওঁৰ দুটা মহৎ উদ্দেশ্য সিদ্ধি হোৱাৰ সোণাময় ছেগ মিলিল;— (ক) অত্যাচাৰী কংসৰ নিধন সাধন, (খ) ভগৱান শ্ৰীকৃষ্ণদৰ্শন লাভ। গতিকে, বৃন্দাবনলৈ অক্ৰূৰ উৰুলীকৃত হৈ ওলাল।

চতুৰ্দ্দশ আধ্যা

কংসৰ ধনুৰ্যজ্ঞ

বসুদেৱৰ দুই পুত্ৰ ৰাম আৰু কৃষ্ণ যে গোঁপৰাজ নন্দৰ ঘৰত গুপ্তভাৱে প্ৰতিপালিত হৈছিল, কৃষ্ণাৰি কংসই ভালেমান দিনৰ আগৰেপৰা সেই কথাৰ সম্ভেদ্ পায়। আন কি, গোকুলত থকা কালৰেপৰা সেই সম্ভেদ্ পোৱাৰ নিদৰ্শন হৰিবংশ আৰু পুৰাণত পোৱা যায়। কিন্তু, সেই কালত গোপ-ক্ষমতা সামান্য নাছিল; গতিকে, গোপৰাজ নন্দক জোকাই লৈ জঞ্জাল বঢাবলৈ দুৰ্ব্বল-চিতীয়া ধৰমৰ ধৰণীহীন ৰজাই সাহ কৰা নাছিল। তাৰ উপৰিও, তেতিয়া কেঁচুৱা কৃষ্ণৰ ভয়ে চম্ফল ডেকা কংসক বৰ বিহ্বল কৰিব নোৱাৰিছিল। বৃন্দাবনলৈ যোৱাৰ পাচত, যেতিয়া কৃষ্ণ-মাহাত্ম্যৰ বিষয়ে ওপৰাউপৰিকৈ তেওঁৰ কাণত পৰিবলৈ ধৰিলে, তেতিয়াৰেপৰা হে কংসই সেই ফালে সশঙ্কিত দৃষ্টি পেলাবলৈ ধৰিলে; কিন্তু তেতিয়া ইচ্ছা থকাতো কংসই সেই উদ্দেশ্যে আগ বাঢ়িবলৈ সাহ নকৰিছিল। কিয়নো, তেতিয়া বৃন্দাবনত নাগ প্ৰভৃতি অনাৰ্য্য জাতিবোৰৰ সংযোগত নন্দৰ গোপ-উপনিবেশ বৰ বলশালী হৈ উঠিছিল। তদুপৰি, মথুৰাত তেওঁৰ গৃহশত্ৰুও যে কম্ নহয়, সেই বিষয়েও তেওঁ গম্ নোপোৱাকৈ থকা নাছিল। তেনে অৱস্থাত বৃন্দাবনত কৃষ্ণক আক্ৰমণ কৰিলেগৈ, নাইবা আন কোনো প্ৰকাশ্য ব্যৱস্থাৰে কৃষ্ণবধৰ যুগুতি কৰিলে যে তাৰপৰা হিতে-বিপৰীত ঘটিবৰ সম্পূৰ্ণ আশঙ্কা, সেই কথাও কংসই বেচকৈ বুজিছিল। ইহাতে, কৃষ্ণ বয়সত যিমান বুজন হৈ আহিল, বল-বিক্ৰমত আৰু বুদ্ধি-কৌশলত তেওঁ সিমান প্ৰখ্যাত হৈ উঠিল। এনে কি, প্ৰকাশ্যে কৃষ্ণক আক্ৰমণ কৰা যে নিৰাপদ নহয়েই, অকলশৰীয়াকৈ কৃষ্ণক পৰাভৱ কৰাও সম্ভৱপৰ দেখা নাযায়। সেই কাৰণে হে কংস বিমোৰ আৰু বিহ্বল হৈ নিটাপ মাৰি আছিল। কিন্তু, পাচলৈ দিনে-ৰাতিয়ে একেটা চিন্তাই তেওঁক অস্থিৰ কৰি তুলিলে। আন কি, টোপনিতো সেই চিন্তাৰপৰা তেওঁ ৰক্ষা নোপোৱাত পৰিল।

ইতি-অৱসৰত এদিন দেৱৰ্ষি নাৰদ কংস ৰজাৰ চ'ৰাত উপস্থিত হলহি। সেই ছেগতে নাৰদ মুনিয়ে কংসৰ আগত ভালেমান কৃষ্ণতথ্য ব্যাখ্যা কৰিলে। মুনিয়ে বুজাই কলে যে, দৈৱকীৰ অষ্টম গৰ্ভজাত সন্তান বুলি যিটি কন্যাক কংসই দেখিছিল, প্ৰকৃতে সেইটি যশোদাৰ গৰ্ভজাত সন্তান; কৃষ্ণ হে দৈৱকীৰ প্ৰকৃত অষ্টম গৰ্ভসম্ভূত সন্তান। আৰু, যি, বলৰামক ৰোহিণীৰ পুত্ৰ বুলি জনা যায়, তেওঁ আচলতে দৈৱকীৰ সপ্তম গৰ্ভজাত পুত্ৰ। এতিয়া সেই কংসাৰি ৰাম-কৃষ্ণ নন্দালয়ত প্ৰতিপালিত হৈছে।[৩]

এনে বিষম অৱস্থাত পৰিহে কংসই ৰাজসভাত পাত্ৰ-

---

(১) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৭৮ আধ্যা।

(২) বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, ২১ আধ্যা।

(৩) যশোদায়াঃ সুতাং কন্যাং দেৱক্যাঃ কৃষ্ণমেৱচ; ৰামঞ্চ ৰোহিণী পুত্ৰং বসুদেৱেন বিভ্যতা। ন্যস্তো স্বমিত্ৰে নন্দে বৈ যাভ্যাং তে পুৰুষা হতাঃ॥

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৬ আধ্যা, ১৬ শ্লোক।

অৰ্থ :—দৈৱকীৰ অষ্টম গৰ্ভজাত বুলি যি কন্যাক তুমি দেখিছিলা, তেওঁ প্ৰকৃততে যশোদাৰ গৰ্ভজাত; আৰু যশোদাৰ গৰ্ভজাত সন্তান বুলি যি কৃষ্ণনামে অভিহিত, তেওঁ হে আচলতে দৈৱকীৰ গৰ্ভসম্ভূত অষ্টম সন্তান; আৰু ৰোহিণীৰ গৰ্ভজাত পুত্ৰ ভাবি লোকে যাক বলৰাম বুলি সম্বোধন কৰে, তেওঁ প্ৰকৃততে দৈৱকীৰ সপ্তম গৰ্ভজাত সন্তান। তোমাৰ ভয়ত বসুদেৱে ৰাম-কৃষ্ণক নন্দৰ ঘৰত পলুৱাই থৈছে।

মন্ত্রী আৰু পুৰোহিত আদি জ্ঞানীলোকৰে সৈতে আলচ পাতি আগন্তুক বিপদ খণ্ডাবলৈ এই সহজ উপায় উদ্ভাৱন কৰিলে যে, প্ৰকাশ্যে নকৰি গুপুতে, প্ৰৱঞ্চনাৰ ওপৰত কৃষ্ণবধ সাধন কৰিব লাগে। সেই উদ্দেশ্যে পুৰোহিতৰ উপদেশ আৰু মন্ত্ৰীবৰ্গৰ পৰামৰ্শমতে কংসৰাজে তেওঁৰ ৰাজধানী মথুৰাত ধনুৰ্যজ্ঞ পাতি ৰাম-কৃষ্ণক নন্দৰাজৰে সৈতে নিমন্ত্ৰণ কৰি আনিবলৈ অক্ৰূৰক পঠিয়াই যজ্ঞৰ যুগুত যো-জা কৰিবলৈ আজ্ঞা দিলে।

ৰজাৰ চ'ৰাৰ সমুখতে তিনিপুৰামান মাটি জুৰি আহল-বহল আৰু ওখকৈ যজ্ঞৰ ভেঁটি বন্ধোৱা হল। ভেঁটিৰ কেইওপাশে মেৰাই এটা ওখ গড় দিয়া হল। প্ৰৱেশ-দুৱাৰ একেখন মাথোন। দুৱাৰৰ আগতে এটা আদৰণী-বাটচ'ৰা। বাটচ'ৰাৰ সমুখতে মহাকায় কুবলয় হাতীক এনেভাৱে ৰখীয়া দিবলৈ দিহা দিয়া হল, যাতে মাউতৰ শিকনিত সি অন্যান্য ৰাজ-ৰাজোৱাৰাদি আহিলে শুৰ তুলি নমস্কাৰ দি সসম্ভ্ৰমে বাট এৰি দিব; কিন্তু বৃন্দাবনৰপৰা সদলে গোপৰাজ নন্দ আহি বাটচ'ৰামুখ পোৱামাত্ৰকে ৰাম-কৃষ্ণক যেন মোহাৰি মাৰি পেলায়। তাৰ পিচৰ থাপত, প্ৰৱেশ-দুৱাৰমুখত দুপাশে চানুৰ আৰু মুষ্টিক নামে দুটা দুৰ্জ্জয় মালযুঁজাৰু ৰখীয়া ৰাখি সিহঁতক এনে দিহা দিয়া হল যে, কুবলয়ৰ গৰাহৰপৰা কেনেবাকৈ এৰাই আহি যজ্ঞগড়ৰ ভিতৰ সোমাবলৈ আহে যদি, ততালিকে দুৱাৰমুখতে আগচি চানুৰ আৰু মুষ্টিকে কৃষ্ণ আৰু বলৰামক ধৰি তাতে থেকেচি বধ কৰিব। গড়ৰ ভিতৰত জৰাসন্ধ প্ৰমুখ্যে দ্ৰাবিড়, তৈলঙ্গ, কুৰু, পাঞ্চাল, কৈকেয়, শল্য, বিদেহ, বিদৰ্ভ, কোশল, নিষধ প্ৰভৃতি ৰাজ্যৰ ৰজাসকলৰ নিমিত্তে যথাযোগ্য আহিলা-পাতিৰে সৈতে ভাগে ভাগে ঠাই নিৰ্দ্দিষ্ট ৰাখিবলৈ দিহাকৰণ হল। সবাৰৰে সমুখত ওখ ভেঁটিৰ ওপৰত পতা ৰত্নসিংহাসনত বহি মথুৰাধিপতি কংসৰাজে যজ্ঞোৎসৱ উপলক্ষীয় ইন্দ্ৰধনুভঙ্গ আৰু বিবিধ সামৰিক ক্ৰীড়া দৰ্শন কৰিব। সেই আলোচনা-সভাত প্ৰবল প্ৰতাপী কংসৰাজে তেওঁৰ কল্পিত কাৰ্য্য-সিদ্ধিত উল্লাহিত হৈ, তেওঁৰ অন্য অভিপ্ৰায়ো এই বুলি ব্যক্ত কৰিলে, "কৃষ্ণ আৰু বলৰামক বধ কৰা হলেই, বসুদেৱক উৎকট শাস্তি দি সদৌ ৰাইজে জনাকৈ বধ কৰা যাব; সেয়ে হৈ উঠিলে দৈৱকী উন্মাদিনী হৈ আত্মঘাতিনী হব যে সেইটো নিশ্চয়। তাৰ পাচত, মোৰ দুৰাচাৰ পিতৃ ভগাৰজা উগ্ৰসেনক প্ৰাণে মাৰি একেবাৰে নিষ্কণ্টক হোৱা যাব।"[১] ইত্যাদি দিহা আৰু সঙ্কল্পেৰে চতুৰ্দ্দশী তিথিত ধনুৰ্যজ্ঞ পাতিবলৈ আদেশ দি কংস নিশ্চিন্ত হল। পিচদিনা কংস ৰজাই যাদৱশ্ৰেষ্ঠ অক্ৰূৰক মতাই আনি ৰথত চৰাই আগত থাকি বৃন্দাবনলৈ যাত্ৰা কৰালে।

পঞ্চদশ আধ্যা

অক্ৰূৰৰ বৃন্দাবন-যাত্ৰা

অক্ৰূৰ এজন পৰম বৈষ্ণৱ। বিদ্যা-বুদ্ধিত তেওঁ এজন বিচক্ষণীয়া পণ্ডিত। বল-বীৰ্য্যত তেওঁ যাদৱ কৌৰৱসকলৰ মাজত সবাতকৈ অগ্ৰগণ্য পুৰুষ। সম্বন্ধত তেওঁ ৰাম-কৃষ্ণৰ দদায়েক; বসুদেৱৰ দদায়েকৰ পুতেক-ভায়েক। সেই গতিকেহে বসুদেৱ যাবলৈ অমান্তি হোৱাত, মন্ত্ৰীৰ পৰামৰ্শমতে কংসৰাজে ৰাম-কৃষ্ণক মথুৰালৈ আনিবৰ কাৰণে অক্ৰূৰক বৃন্দাবনলৈ পঠিয়াবলৈ মনোনীত কৰে। আৰু, কংসৰাজৰ অনুমোদিত সেই আজ্ঞা অক্ৰূৰে আগ্ৰহেৰে শিৰোধাৰ্য্য কৰাৰ অৰ্থ হৈছে কৃষ্ণদৰ্শন লাভ। বাস্তৱতে, অক্ৰূৰ অতিশয় কৃষ্ণ-অনুৰাগী বৈষ্ণৱ। গোকুল, ব্ৰজ, ধাম, বৃন্দাবনত শ্ৰীকৃষ্ণৰ মহাত্মাৰ কাহিনী শুনি শুনি অক্ৰূৰৰ অন্তৰ কৃষ্ণ-আসক্তিৰে পূৰ্ণ হৈছিল, আৰু ৰাম-কৃষ্ণৰ ক্ষমতাত তেওঁৰ অটল বিশ্বাস জন্মিছিল। দীৰ্ঘদৰ্শী ৰাজ-

---

(১) আৰভ্যতাং ধনুৰ্যাগং চতুৰ্দ্দশ্যাং যথাবিধি।
বিশসন্তু পশূন্মেধ্যান্ ভূতৰাজায় মীঢ় ষে॥
উগ্ৰসেনং মৎপিতৰং স্থবিৰং ৰাজ্যকামুকম্।
তদ্ভ্ৰাতৰং দেবকঞ্চ যে চান্যে বিদ্বিষো মম॥
শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৬ আধ্যা, ২১—২৫ শ্লোক।

নীতিজ্ঞ পুৰুষ অক্ৰূৰে বেচকৈ বুজিছিল যে, দুৰ্দ্দম স্বেচ্ছাচাৰী কংস ৰজাৰ অত্যাচাৰৰপৰা যাদৱ ৰাজকুল প্ৰমুখ্যে মথুৰাবাসীক মুক্ত কৰিবলৈ শ্ৰীকৃষ্ণত বাজে আন মুক্তিদাতা আৰু নাই। সেই কাৰণে হে অক্ৰূৰে, এপাত শৰেৰে তিনি লক্ষ্য ভেদ কৰাৰ উদ্দেশ্যে, অতি আগ্ৰহেৰে বৃন্দাবন-যাত্ৰালৈ আগ বাঢ়িলে।

পিচদিনা পুৱাতে সাৰথিয়ে ৰজাঘৰীয়া ৰথ আনি অক্ৰূৰৰ বাটচ'ৰাত সাজু কৰিলেহি। অক্ৰূৰে বিষ্ণুক চিন্তি হৰিষচিতেৰে ওলাই আহি ৰথত চৰা মাত্ৰে সাৰথিয়ে বৃন্দাবনমুখে বায়ুবেগেৰে ৰথ চলাই দিলে। যমুনা পাৰ হওঁতে মাথোন অলপ পৰ ৰথ ৰখাই তাতে অক্ৰূৰে স্নান-আহ্নিকাদি প্ৰাতঃকৃত্য সমাপন কৰি ললে। স্নান কৰি থাকোঁতে ফট্-ফটীয়াকৈ তেওঁৰ মনত পৰিছিল, ওপজা-কৃষ্ণ বসুদেৱৰ বুকুৰপৰা যমুনাৰ বুকুলৈ স্খলি পৰাৰ কথা, বসুদেৱৰ মুখে সেই কথা শুনালৈ মনত কৰি কৃষ্ণভক্ত অক্ৰূৰে মনে মনে এই বুলি ভক্তিত তন্ময় হৈছিল, "এই যমুনাঘাটতে শ্ৰীকৃষ্ণই পিতৃৰ বুকুৰপৰা পিছলি পৰি[1] প্ৰসৱ-প্ৰক্ষালন স্নান-প্ৰক্ৰিয়াৰে সৈতে যমুনা জল পৱিত্ৰ কৰি গোকুলত গোলোকৰ পোহৰ দিবলৈ মথুৰা ত্যাগি যমুনা পাৰ হৈ গৈছিল।"

তাৰ পাচত, অক্ৰূৰ আকৌ ৰথত চৰিল গৈ। সাৰথিয়ে আৰোহীৰ অভিপ্ৰায় অনুসৰি এইবাৰ ধীৰে-শাঁতে ৰথ চলাবলৈ ধৰিলে, অক্ৰূৰ কৃষ্ণভাবত তন্ময় হৈ গৈ থাকিল। চাওঁতে চাওঁতে ৰথ বৃন্দাবন সোমালগৈ। অক্ৰূৰে চোৰাং চোৰাৰপৰা পাই থকা বৰ্ণনাতে অ'ত ত'ত কৃষ্ণপদচিন্ লক্ষ্য কৰি যাবলৈ ধৰিলে। সেইভাৱে গৈ গৈ তেওঁৰ ৰথ এখন বিস্তীৰ্ণ গৰখীয়া চাপৰিত উপনীত হলগৈ। তাতে অলেখ গৰখীয়া ল'ৰাৰ মাজত জিলিকি থকা ৰাম-কৃষ্ণৰ প্ৰত্যক্ষ ৰূপ দৰ্শন কৰি ভক্তিবিহ্বল হৈ ৰথৰপৰা নামি অক্ৰূৰে নিলগতে দীঘল দি পৰি সেৱা জনালে[2]। বাল্য-যৌৱনৰ সন্ধিস্থলত চেমনীয়া কৃষ্ণৰ মদনমোহন ৰূপ দেখি অক্ৰূৰ বিমোহিত হল, আৰু তেওঁ আপোনমনেৰে এই বুলি কৃষ্ণৰূপ বখানিবলৈ, ধৰিলে, "এয়ে সেই মহামহীধৰদেহ পূৰ্ণপয়োদপ্ৰতিম সিংহ-বিক্ৰম কমললোচন শ্ৰীকৃষ্ণ। পীতবস্ত্ৰ পৰিধান কৰাত যাৰ মনোমোহা দেহৰ কান্তিয়ে মদনকো মনোবেদনা দিয়ে, এওঁৱেই সেই সনাতন বিষ্ণু। অহ, এওঁৰ সোঁ-হাতখনি চক্ৰধাৰণৰ উপযোগী যেন মনে ধৰিছে, বাওঁহাতখনি যেন গদাধাৰণলৈ হে গঠিত হৈছে। এই গোপালৰূপী ভগবানেই নিস্তেজ যদুবংশক পুনৰপি সতেজ কৰিব। এওঁ এই বসুধাত অৱস্থান কৰি জগতক বশীভূত কৰি ৰজা নহৈও ৰাজাধিৰাজ হব। এওঁৰ বাহুবলেই যে কংসক ধ্বংস কৰি পুনৰপি বৃদ্ধৰাজ উগ্ৰসেনক ৰাজপাটত বহুৱাব তাত সংশয় নাই। মই আজি মনোমধ্যত বিহিত মন্ত্ৰোচ্চাৰণেৰে সেই বিষ্ণুৰ বিষ্ণুত্ব এই কৃষ্ণদেহত অৰ্পণ কৰি যথাবিধি পূজা কৰিম। এয়ে মোৰ আজি মহাসংকল্প। তাৰ পাচত, ৰাতিকৈ ৰাম-কৃষ্ণক স্বয়ং নিজানত চপাই লৈ সিবিলাকৰ আচল পিতৃ-মাতৃ বসুদেৱ দৈৱকীৰ দুখ-দুৰ্গতি আৰু দুৰাচাৰ কংসৰ অত্যাচাৰৰ কথা বিবৰি কম।" সূক্ষ্মদৰ্শী তীক্ষ্ণ-বুদ্ধিৰ শ্ৰীকৃষ্ণে ভক্ত অক্ৰূৰৰ ভাবগতি বুজি অগ্ৰজ বলৰামৰে সৈতে আগবাঢ়ি গৈ ওচৰ চাপি চিনাকি দি তেওঁৰ আগমনৰ উদ্দেশ্যৰ সন্ধান ললেগৈ। অক্ৰূৰে চমুকৈ দুই-চাৰি কথাৰে সমিচাৰ দিওঁতেই মতিমান শ্ৰীকৃষ্ণই সঙ্কেতত সবিশেষ বুজি উঠি, বলৰামক একে-আষাৰে আদ্যোপান্তৰ আভাস দি, আগন্তুক আলহীৰ বৰ্ণনাশ্ৰম লাঘৱ কৰিলে।

---

(১) হৰিবংশ আৰু শ্ৰীমদ্ভাগৱত প্ৰমুখ্যে অন্যান্য পুৰাণত এই বিষয়ক অদ্ভুত বৰ্ণনা একে সুৰেৰেই গোৱা হৈছে। কোনো কোনো বৈষ্ণৱ টীকাকাৰে ইমানলৈকো চাপি গৈ কৃষ্ণপ্ৰেমপিপাসা পলুৱাইছে যে, পুণ্য যমুনাক কৃষ্ণৰ পাদপদ্ম স্পৰ্শ কৰাবৰ উদ্দেশে হে ওপজা-কৃষ্ণ বসুদেৱৰ বুকুৰপৰা পিছলি পৰিছিল। কোনোৱে আকৌ এই বুলিহে মন্তব্য প্ৰকাশ কৰে যে, কৃষ্ণপদ লালায়িত যমুনাই বসুদেৱৰ বুকুলৈকে উথলি উঠি শ্ৰীকৃষ্ণৰ পাদপদ্ম বক্ষেৰে স্পৰ্শ কৰি আকৌ আপুনি তৰ পৰি গৈছিল। সি যি হওক, সেইক্ষণতে যে কৃষ্ণ বসুদেৱৰ বুকুৰপৰা পিছলি পৰা দুৰ্ঘটনা ঘটিছিল, তাত সন্দেহ নাই।

(২) ৰথাত্তূৰ্ণমবপ্লুত্য সোঽক্ৰূৰ স্নেহবিহ্বলঃ।
পপাত চৰণোপান্তে দণ্ডবদ্ৰামকৃষ্ণয়োঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৮ আধ্যা, ৩১ শ্লোক।

তাৰ পাচত, ৰাম-কৃষ্ণই অতি আদৰেৰে দদায়েক অক্ৰূৰক দুয়ো দুহাতে ধৰি নন্দালয়লৈ গৈ গল। ৰাম-কৃষ্ণই পিতাক নন্দৰাজৰ আগত যাদৱ ৰাজকোঁৱৰ অক্ৰূৰক ভেঁটাই দি, মাক যশোদা আৰু ৰোহিণীৰ ওচৰত সকলো কথা সঙ্কেতত ভাঙ্গি কলেগৈ। তাৰ পাচত, আতিথ্য সৎকাৰাদিৰ বিষয়ে যুগুত দিহা দি, গৰু চপাবৰ পৰত ৰাম-কৃষ্ণ ঘূৰি গৰখীয়া-শালি পালেগৈ। ইকালে ৰাজযোগ্য আতিথ্যত পৰিতুষ্ট হৈ, জিৰণি লোৱাৰ ছেগতে অক্ৰূৰে তেওঁৰ বৃন্দাবন-আগমনৰ উদ্দেশ্যৰ বিষয়ে নন্দৰাজত বিবৰি কবলৈ ধৰিলে।[১]

ষোড়শ আধ্যা

অক্ৰূৰ-সংবাদ

ৰাতি ভোজনৰ পাচত, অক্ৰূৰে বিষ্ণুক চিন্তি শয্যাত পৰিছেগৈ, এনেতে ৰাম-কৃষ্ণ তেওঁৰ কাষলৈ গৈ, দুয়ো দুকাশে পালঙ্কত বহি লৈ, খুড়াদেৱাকক সভক্তি আদৰ-সম্ভাষণ জনালেগৈ। অক্ৰূৰে আনন্দবিহ্বল হৈ, দুইৰো মাজতে বহি, দুইৰো গাত দুখন হাত দি, সম্ভাষণৰ সভক্তি প্ৰতিদানেৰে মথুৰাৰ সংবাদ বৰ্ণাই কবলৈ ধৰিলে।[২] মথুৰা-কাহিনীৰ বৰ্ণনাত প্ৰথমতে স্বেচ্ছাচাৰী কংসৰজাৰ অসহনীয় অত্যাচাৰত সদৌ মথুৰাবাসীৰ বিলাই-বিপত্তিৰ কথা ৰাম-কৃষ্ণৰ আগত জ্ঞাপন কৰা হল, শুনি শুনি দুইৰো করুণ হৃদয় সহবেদনাত অতিকৈ ব্যথিত হবলৈ ধৰিলে। তাৰ পাচত, যেতিয়া মথুৰাবাসী যাদৱসকল, বিশেষকৈ বৃষ্ণি ফৈদৰ যাদৱ কোঁৱৰসকলৰ ওপৰত নানা তৰহৰ অসহনীয় অত্যাচাৰ আৰু অপমানৰ বিষয়ে চমুকৈ বৰ্ণোৱা হল, তেতিয়া একাণপতীয়াকৈ শুনি থকা গম্ভীৰ প্ৰকৃতিৰ বৃষ্ণিৰাজকোঁৱৰ বলৰামে ধুমুহাৰ পূৰ্ব্বক্ষণত ধাৰণ কৰা প্ৰকৃতিৰ প্ৰমাদসূচক অতিগম্ভীৰৰূপ ধাৰণ কৰিলে, আৰু সুকোমলহৃদয় শ্ৰীকৃষ্ণৰ দুগালে দুধাৰি দুৰৰিবনত নিয়ৰৰ পানী যেন চকুলো বৰলৈ ধৰিলে। তাৰো পাচত, যেতিয়াই অক্ৰূৰে শোকেধৰা কণ্ঠেৰে উচুপি উচুপি আচল মাতৃ আৰু পিতৃ দৈৱকী আৰু বসুদেৱৰ অকথনীয় লেলাতভুঞ্জনৰ বিষয়ে বৰ্ণনা কৰি, সেই দুৰ্ভগীয়া দম্পতীয়ে চিৰজীৱন বন্দীশালত কটাবলগীয়া হোৱা কথাত এই বুলি আক্ষেপ কৰিবলৈ ধৰিলে, "বোপাইত! তোমালোকৰ পিতৃ পুত্ৰবান হৈয়ো অপুত্ৰক, তেওঁ কংসৰ বন্দীশালত শোক-তাপত দগ্ধ হৈ দিন নিয়াইছে। তেওঁ বুঢ়া হৈ একেই জুৰুলা, তাতে কংসৰ পীড়নত জৰ্জ্জৰি"। হে গোবিন্দ, তোমাৰ গৰ্ভ-ধাৰিণী মাতৃ দৈৱকী দেৱীৰ দুৰ্গতিৰ কথা নো কি কম! তেওঁ কংসৰ অত্যাচাৰত পৰি সধবা হৈয়ো বিধবা, পুত্ৰৱতী প্ৰসূতী হৈয়ো অপুত্ৰকা অভাগিনী! হে কৃষ্ণ, সেই তপস্বিনীয়ে কেৱল তোমাৰ মুখদৰ্শন প্ৰত্যাশাতে ইমান দিন অত নিৰ্য্যাতন সহিও জীৱন ধাৰণ কৰি আছে। হায়, যদি তোমাহেন পুত্ৰ প্ৰসৱ কৰিও দৈৱকীৰ জীৱন্তে এই দশা হব লাগিল, তেন্তে তেওঁৰ অনপত্যতাই মঙ্গল আছিল।" শুনি শুনি অদ্ভুতবলশালী মহাতেজী শ্ৰীকৃষ্ণই জঁাপ মাৰি উঠি, ভোঁ-ভোঁকৰে ওলাই নন্দৰাজৰ উদ্দেশ্যে বেগেৰে প্ৰস্থান কৰিলে; যাওঁতে তেওঁ ইমানকে মাথোন কৈ গল, "কংসকো মাৰিম, বংশকো তাৰিম, আমি ৰাম-কানায়ে।"[৩] তাৰ পাচত, অক্ৰূৰৰ ওচৰত সাদৰে বিদায়

---

(১) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৮১ আধ্যা।

(২) হৰিবংশ, বিষ্ণুপুৰাণ আৰু শ্ৰীমদ্ভাগৱতমতে এই ছেগতে, কৃষ্ণবধৰ অৰ্থে সঙ্কল্পিত কংসৰ ষড়যন্ত্ৰৰ বিষয়ে অক্ৰূৰে গোপনে ৰাম-কৃষ্ণক সংবাদ দিয়ে। প্ৰস্তাৱিত ধনুৰ্যজ্ঞ যে লোকক দেখুৱা এটা কৃত্ৰিম-উৎসৱ মাথোন, সেই কথাও অক্ৰূৰে ৰাম-কৃষ্ণৰ আগত ভাঙ্গি-পাতি কবলৈ বাকী নথলে। সেই প্ৰসঙ্গতে সেই অনুযায়ী সাজু হবলৈকো তেওঁ ৰাম-কৃষ্ণক পৰামৰ্শ দিলে। আৰু, সেই কালৰ প্ৰবলপ্ৰতাপী মথুৰাধিপতি কংস ৰজাৰ গৰাহৰপৰা সেই যাত্ৰাত শ্ৰীকৃষ্ণৰ নিষ্কৃতিত অক্ৰূৰক সন্দিহান যেন দেখি, শ্ৰীকৃষ্ণই বাৰম্বাৰ ডাঠি কৈছিল যে, তেওঁ মথুৰালৈ গৈ কংসক নিশ্চয় বধ কৰিবগৈ; সেই কথাত সকলো নিশ্চিন্ত থাওক।

(৩) (ক) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধ্যা।
(খ) বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, ১৮ ছেদ।

লৈ বলৰাম ধীৰে ধীৰে ওলাই গল। অক্রূৰে শয্যাত পৰি আকাশ পাতাল ভাবিবলৈ ধৰিলে!

শ্রীকৃষ্ণই পোন্‌চাতেই গৈ পিতাক নন্দৰ ওচৰ চাপিলেগৈ। নন্দৰাজে তৎপূর্ব্বৰেপৰা মনে মনে কৃষ্ণ প্রতীক্ষাত আছিলেই। কিয়নো, তেওঁ স্বৰূপ অনুমান কৰিছিল যে অক্রূৰ-সংবাদ পাই নিশ্চয় সেই সময়ত কৃষ্ণ তেওঁৰ ওচৰ চাপিবগৈ। অক্রূৰ-সংবাদৰ পুনৰুক্তি নকৰি কৃষ্ণই নন্দৰাজত এই প্রার্থনা জনালে গৈ যে, তেওঁক অগ্রজ বলৰামেৰে সৈতে মথুৰালৈ যাবলৈ অনুমতি দিব লাগে, আৰু বৃন্দাবন উপনিবেশৰ বছা-বছা বল-বীর্য্যৱন্ত ব্রজবাসী আৰু গৰখীয়া সৈনিক গোপদলৰে সৈতে স্বয়ং তেওঁ-অনতিপলমে মথুৰা-যাত্রা কৰিব লাগে। মথুৰাগমনৰ আচল উদ্দেশ্যৰ কথা কৃষ্ণই নন্দত নাভাৰিলে; কিন্তু স্বৰূপভাৱে উদ্দেশ্য প্রচাৰিত হলে বৃন্দাবনবাসী, বিশেষকৈ গোপিনীসকল হঠাৎ বিৰহ-বিহ্বল হৈ পৰিব বুলি ভাবি, কংসৰাজৰ ধনুর্যজ্ঞলৈ দিয়া-নিমন্ত্রণ মাথোন ৰাষ্ট্র কৰি দি সিবিলাকক মথুৰাযাত্রালৈ সাজু হবলৈ কোৱা হল। কৃষ্ণৰ প্রস্তাবত নন্দ নীৰৱে মান্তি হল। তাৰ পাচত, অন্যান্য লাগতিয়াল আয়োজনৰ উদ্দেশে, কৃষ্ণ কোনোবা ফালে সবেগে ওলাই গল। ইফালে যথাযোগ্য ৰাজোপহাৰেৰে সৈতে মথুৰাযাত্রালৈ সাজু হোৱাৰ অর্থে, গোপবর্গক চপাই লৈ নন্দৰাজ আলোচনাত বহিল।[১] যদ্যপি তেওঁ কৃষ্ণৰ প্রস্তাবত নীৰৱে মান্তি হৈছিল, তথাপি বয়োজ্ঞানবৃদ্ধ নন্দৰাজে দূৰদৃষ্টিৰে আগ ধৰি মথুৰা আগমনৰ আগন্তুক আপদ-বিপদাদিলৈ নোচোৱাকৈ ৰব নোৱাৰিলে;—কিয়নো কংসৰ গুপুত ষড়যন্ত্রৰ বিষয়ে তেওঁ আগৰেপৰা সঘনে সম্ভেদ পাই আছিল। বিশেষকৈ, তেওঁৰ প্রাণৰ পুতলি যেন শ্রীকৃষ্ণ তাৰ লক্ষ্যকেন্দ্র হোৱাত, তেওঁৰ পক্ষে নিটাল মাৰি থোৱাটো অসম্ভৱ হল। গতিকে, গোপসকলত বাজেও, নাগ প্রভৃতি বৃন্দাবনৰ গভীৰ ভাগৰ আদিবাসী জাতি-বিলাককো গোপনে বাতৰি দি অনাই সিহঁতৰ বছা বছা তেজী ৰণুৱা মানুহ ৰণ-সঁজুলিৰে সৈতে সাজু কৰি ললে। সেই কার্য্যত বিশেষ দীঘলীয়া আয়োজনৰ আৱশ্যক নহল, গতিকে গোপৰাজৰ উদ্দেশ্য সিদ্ধি হবলৈকো সৰহ পৰ নালাগিল। কিয়নো, বাহিৰে নির্জ্জুভাৱে নিটাল মাৰি আছিল যদিও, ভিতৰি মথুৰাবাসী আৰু ব্রজ-বৃন্দাবন আদিৰ কৰতলীয়া ৰাজ্যৰ সদৌ প্রজাবর্গ কংস ৰজাৰ অত্যাচাৰত অস্থিৰ হৈ মনে মনে তেওঁৰ বধৰ কামনাত মগ্ন আছিল, ছেগ পালেই চাৰিওকালৰপৰা উৎপীড়িত প্রজাই স্বেচ্ছাচাৰী অধৰমী ৰজাক সম্মিলিত বলেৰে গৰাহ মাৰি ধৰিবলৈ তলে তলে সাজু হৈ আছিল। এতেকে, অক্রূৰ-সংবাদ নন্দৰাজৰ পক্ষে নতুন সংবাদ নহল, তেওঁ ভালেমান দিনৰ আগৰেপৰা মথুৰাবাসীৰ দুর্দ্দশা আৰু সিবিলাকৰ ভিতৰুৱা ভাব-গতিৰ সম্ভেদ পাই আছিল। বছৰেকীয়া কৰ-কাটল শোধাবৰ অর্থে মথুৰালৈ গলেই নন্দৰাজে যাদৱ কোঁৱৰসকলৰ লগত সততে সেই বিষয়ে ভিতৰ-বিশ্বাসত কথা-বার্ত্তা হয়। বিশেষকৈ, প্রতিবাৰেই তেওঁৰ পৰম মিত্র বসুদেৱৰ লগত তেওঁ অন্তৰৰ ভাব সলনাসলনি নকৰাকৈ নাহে, সেই প্রসঙ্গত সিবিলাকৰ ভিতৰত সাংসাৰিক নীতিগর্ভমূলক বিষয়ৰ কথোপকথন হয়। আদিৰেপৰা, কৃষ্ণজন্মৰ আগৰেপৰা কংসবধৰ গুপ্ত আলোচনাত ব্রজেশ্বৰ নন্দৰাজ মথুৰাবাসী যাদৱ কোঁৱৰসকলৰ লগত যোগ আছিল। আৰু তেতিয়াৰেপৰা তেওঁ অতি গোপনে গোকুল, ব্রজ, বৃন্দাবনৰ আশেপাশে বসতি কৰা অনার্য্য জাতিবিলাকক এই বিষয়ে তলে তলে সঙ্কেত দিবলৈ ছেগ এৰি দিয়া নাছিল। গতিকে, অক্রূৰ-সংবাদ আহি পোৱা মাত্রকে সেই আদি-অধিবাসীবিলাকক ততালিকে সেই উদ্দেশ্যে সাজু কৰিবলৈ গোপৰাজে বেচি শ্রম কৰিব লগা নহল। নন্দৰাজৰ সাঙ্কেতিক আদেশ পোৱা মাত্রকে সেই জাতিবিলাকৰ ভিতৰৰ বছা-বছা যুঁজাৰু মানুহ অলেখ আহি মথুৰাযাত্রাৰ উদ্দেশে উপস্থিত হলহি। নন্দৰাজে সিহঁতৰ ভিতৰৰে আকৌ বাছি বাছি বাছকবনীয়াবিলাকৰে সৈতে ছদ্মবেশী সৈন্যৰ দল এটা গঠিত কৰি ললে। আৰু, সেই দলক ওপৰঞ্চি স্বৰূপে লৈ, গোপৰাজ নন্দই শ্রীকৃষ্ণৰ

(১) (ক) হৰিবংশ, বিষ্ণুপর্ব্ব, ৮২ আধ্যা (খ) শ্রীমদ্ভাগৱত, দশম স্কন্ধ, ৫ম আধ্যা, ১৩—২২ শ্লোক

সুশিক্ষিত সংসপ্তক সৈনিক দলক ঘাই ৰণুৱাকৈ লৈ মথুৰা-যাত্ৰালৈ সাজু কৰিলে। তাৰ পাচত, তেওঁ নীৰলে উপস্থিত সমস্যাৰ ওচৰ-ভবিষ্যৎ ভাবিবলৈ ধৰিলে। ভাবি ভাবি নন্দৰাজে ভাবি পালেগৈ যে, এই সমস্যাত তেওঁৰ ভাগ্যত অশেষ অকথনীয় শোক-সন্তাপ আৰু বিৰহ-যন্ত্ৰণাদি সহিবলগীয়া আছে; তেওঁ ভাবি পালেগৈ যে, ৰাম-কৃষ্ণৰ এই মথুৰা-প্ৰত্যাগমনৰ পাচত আৰু বৃন্দাবন পুনৰাগমন হোৱাৰ আশা নাই; নন্দৰাজে আৰু ভাবি পালেগৈ যে, বসুদেৱে ৰাম-কৃষ্ণক যেনেকৈ তেওঁৰ হাতত গতাই দি গৈছিলেহি, তেওঁৰো এতিয়া তেনেকৈয়ে বৃন্দাবনৰ চকুমণি দুটি মথুৰাত বসুদেৱক শোধাই দি আহিবগৈ লাগিব।[১] কিন্তু, তথাপিও তেওঁ বিচলিত নহল, কিয়নো, তেওঁতকৈ সহস্ৰগুণে বিচলিত হবলগীয়া যশোদাপ্ৰমুখ্যে ব্ৰজৰ গোপিনীবৰ্গ আছেই এথোন। বিশেষতঃ, মহাত্যাগীপুৰুষৰ গোপৰাজ নন্দ সতকাই বিচলিত হোৱা লোক নহয়, তেওঁ যশোদাৰ গৰ্ভ-প্ৰসূত আত্মসন্তানটি কৃষ্ণৰ সলনিত কংসৰ কৰাল হাতত অৰ্পণ কৰি যি মনোবলেৰে বিচলিত হৈ আছিল, এতিয়াও সেই মনোবলেৰেই অবিচলিত থৈ থাকিল।

সপ্তদশ আধ্যা

ৰাম-কৃষ্ণৰ মথুৰা আগমনৰ আয়োজন

শ্ৰীকৃষ্ণই পিতাক নন্দৰাজক মান্তি কৰাই থৈয়েই মাক যশোদাৰাণীৰ কাষ চাপিলগৈ। তেওঁ ভাবি চালে যে, মথুৰাযাত্ৰাৰ সম্ভেদ্ কেনেবাকৈ অন্যৰপৰা পাব লাগিলে, যশোদা আগধৰি বাউলি হৈ পৰিব; তেতিয়া তেওঁক শান্ত কৰা বৰ টান হৈ উঠিব। সেই ভাবি, মতিমান শ্ৰীকৃষ্ণই পিতাকক পিচ কৰি থৈ, ততাতৈয়াকৈ আগধৰি মাকৰ ওচৰ চাপিলগৈ। যশোদাৰ ওচৰ চাপিলেই কৃষ্ণ কেঁচুৱাটি হৈ পৰে! কিন্তু, সেই দিনা সেই সময়ত সেই আচৰণৰ অতিচাৰ হোৱা যেন দেখা গল। আন কি, কৃষ্ণৰ ল'ৰালিত সততে বিমুগ্ধ যশোদায়ো সেই অতিচাৰৰ লক্ষণ তত্ ধৰিব পাৰিছিল। তেওঁ পোনেই গৈয়েই মাকক ডিঙিত ধৰি চুমা এটি দি, নানা ভাওটিৰে তেওঁৰ মনত ৰং লগাবৰ চেষ্টা কৰিলে। তাৰ পাচত, এবাৰ ছেগ বুজি মনৰ আচল ভাব ব্যক্ত কৰি, কৃষ্ণই মথুৰা-যাত্ৰাৰ নিমিত্তে যশোদাৰ ওচৰত অনুমতি প্ৰাৰ্থনা কৰিলে। এই কথাৰ আভাস যশোদাই তাৰ আগেয়েই পাই থৈছিল। তেওঁ নন্দৰাজ আৰু অক্ৰূৰৰ ভিতৰত হোৱা কথা-বাৰ্ত্তাৰ পৰাই তাৰ সম্ভেদ্ লৈ থৈছিল। এতিয়া কৃষ্ণৰ নিজমুখে সেই নিদাৰুণ অক্ৰূৰ-সংবাদৰ উদ্দেশ্য-ব্যাখ্যা শুনি শোক-বিহ্বলা হৈ সেই অৱস্থাতে যশোদা ঢাল খাই মূৰ্চ্ছা গল! কৃষ্ণ বিমোৰ হল। তথাপি, তেওঁ বহু যত্নেৰে মাকক সংজ্ঞালাভ কৰাই তুলি বহুৱাই বিধ্‌বিধ্‌কৈ বুজনি দিবলৈ ধৰিলে। একোৱেই গুণ নিদিয়ে, মাকৰ প্ৰাণে একোকে নামানে। এইদৰে মাক-পুতেকৰ মাজত বিস্তৰ কন্দা-কটা আৰু বুজনি বাক্যৰ কটাকটি চলাৰ পাচত, মাক এফেৰি শান্ত হোৱা দেখি কৃষ্ণই এই শেষ কথা

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫ম আধ্যা, ১৩ শ্লোক। যেনে :

গোপান্ গোকুলৰক্ষায়ৈ নিৰূপ্য মথুৰাং গতঃ।
নন্দঃ কংসস্য বাৰ্ষিক্যং কৰং দাতুং কুৰূদ্বহ॥

* * * *

নন্দগোপ উবাচ

নূনং হ্যদৃষ্টনিষ্ঠোঽয়মদৃষ্টপৰমো জনঃ।
অদৃষ্টমাত্মনস্তত্ত্বং যো বেদ স ন মুহ্যতি॥

অৰ্থাৎ, ইহলোক অদৃষ্টমূলক আৰু অদৃষ্ট অনুসৰি পৰ্য্যাবসিত হয়। এতেকে, যি লোকে আপোনাৰ অদৃষ্টকে আপোনাৰ ভোগাভোগৰ কাৰণ বুলি মানে, সেই লোক কাচিতো সুখ-দুখত মগ্ন বা বিচলিত নহয়।

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫ম আধ্যা, ২১ শ্লোক।

বসুদেব উবাচ :

কৰো বৈ বাৰ্ষিকো দত্তো ৰাজ্ঞে দৃষ্টা বয়ঞ্চ বঃ।
নেহস্থেয়ং বহুতিথং সন্ত্যুৎপাতাশ্চ গোকুলে॥

অৰ্থাৎ, নন্দৰাজক সমিধান দিয়াৰ ছেগতে বসুদেৱে এই বুলি পৰামৰ্শ দিয়ে, "হে প্ৰিয়, তোমাৰ ৰাজকৰ শোধোৱা হৈ গৈছে, আৰু আমি বন্ধু-বান্ধৱকো দেখা-সাক্ষাৎ কৰা হৈ গৈছে; এতেকে তুমি অনতিপলমে উলটি যোৱাগৈ, কিয়নো, সিফালে গোকুলত বিবিধ অপায় অমঙ্গল ঘটিছে চাগৈ।

শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫ম আধ্যা ২২ শ্লোক।

একেথাৰ কৈ লৰা-লৰিকৈ আনফালে ওলাই গল,—"মোৰ আইয়ে বেজাৰ কৰিব নালাগে, মই আকৌ উলটি আহিমগৈ। মথুৰাত কংস ৰজাৰ ধনুৰ্যজ্ঞ উৎসৱত হোৱা ৰং-ধেমালি চাই মই আমাৰ বৃন্দাবনলৈ উলটি আহিমগৈ। এতিয়া আমি এৰাব নোৱাৰাত পৰি হে যাবলৈ ওলাইছোঁ। কিয়নো, ৰাজ-আজ্ঞা অৱজ্ঞা কৰিব নাপায়, কৰিলে জগৰ লাগিব আৰু পাপ হব, তাতে আকৌ ই নিমন্ত্ৰণ। ৰাজ-নিমন্ত্ৰণ পোৱা আৰু ৰাজদৰ্শন লাভ হোৱা কম ভাগ্যৰ কথা নহয়। আমি পিতাদেৱৰ লগত হে যাম, এতেকে কি ভয় আছে? আই, তুমি নাকান্দিবা। তুমি কান্দিলে মোৰো কান্দোন আহে। আমাৰ লগৰীয়া গৰখীয়াবিলাকৰো কোনো কোনো যাবলৈ ওলাইছে। মই বাৰু এতিয়া যাওঁচোন, কোন্ কোন্ যায় সোধোঁগৈ।" এই বুলি কৃষ্ণ বেগ্যাবেগিকৈ ওলাই গল, যশোদাই দীঘলকৈ হুমুনিয়াহ এটি পেলাই ওলাই আহি পিচফালৰপৰা পুতেক যোৱাৰ ফালে চাই চাই চায়ে থাকিল!

যশোদাক দুনাই বাউলী হবলৈ ছেগ নিদিবৰ বুদ্ধিৰেই কৃষ্ণ ব্যস্তভাৱে ততাতৈয়াকৈ আনফালে ওলাই গল। তেওঁ তাৰপৰা গৈয়ে মাহীমাক[১] ৰোহিণী দেৱীৰ কাষ চাপিলগৈ। যশোদাক ভুলাবলৈ ভাও ধৰাৰ দৰেই কৃষ্ণই আথে-বেথে মৰম লগাই ল'ৰা-ধেমলীয়া কথাবাৰ্ত্তা পাতি মাহীমাকৰ মনত ৰং লগাবলৈ চেষ্টা কৰিলে। কিন্তু, যিমানেই হওক, কৃত্ৰিমালি বেগতে ধৰা পৰে। যশোদাৰ দৰেই ৰোহিণীয়েও কৃষ্ণৰ সাদৰি আচৰণত অতিচাৰৰ লক্ষণ লক্ষ্য কৰি মনে মনে চিন্তাযুত হৈ পুতেকলৈ সন্দিহান চকুৰে চাবলৈ ধৰিলে। যি হওক, তাৰ পাচত এটা ছেগত কৃষ্ণই তেওঁৰ মনৰ ভাব মাহীমাক ৰোহিণী দেৱীৰ আগত কথাৰে কৈ পেলালে। সেই কথা শুনা মাত্ৰকে ৰোহিণী দেৱীয়ে আপদসূচক এটা চিয়ঁৰ মাৰি মাটিত লুটি খাই পৰিল। সেইখিনি পৰতে গহীন গতিৰে ধীৰ-স্থিৰ-শান্ত প্ৰকৃতিৰ বলৰামো ভিতৰ সোমাইছিলগৈ মাথোন। পিচে, কৃষ্ণ চিকিৎসাৰ গুণত সংজ্ঞা লাভ কৰাত, বলৰামে মাকক আওজাই ধৰিলে, আৰু কৃষ্ণই বিবিধ বুজনিৰে বুজাবলৈ ধৰিলে। কিন্তু, ৰোহিণী দেৱীয়ে শুনে আৰু ৰাম-কৃষ্ণৰ ডিঙ্গিত ধৰি ধৰি কান্দে, তেওঁৰ মনে একোকে বুজনি নামানে। এনে কি, যশোদা ৰাণীতকৈও এওঁক বুজাবলৈ হে টান হল। কিয়নো, ৰোহিণীয়ে নিজে ভুগিছিল, আৰু কংসৰ উৎপাত্ তেওঁ নিজ চকুৰে দেখি গৈছিল। ইমান দিনে তেওঁ আচল কথা কাৰো আগত কোৱা নাছিল; কিন্তু আজি আসন্নবেলাত পুতেকহঁতৰ আগত আদ্যোপান্ত ভাঙ্গি নকৈ নোৱাৰিলে। তেওঁ উৰ্চুপি উচুপি পূৰ্ব্বৰ মথুৰা-কাহিনী বৰ্ণাই ভয়বিহ্বলা হৈ আকৌ কান্দিবলৈ ধৰিলে। কান্দি কান্দি তেওঁ ৰাম-কৃষ্ণক উলটি বুজাবলৈ ধৰিলে যে, যি কংসৰ ভয়ত তেওঁ অতকাল নন্দালয়ত গুপ্তবাস কৰি জীৱনযাপন কৰিছেহি, আজি সেই কংসৰ কোপাগ্নিত ৰাম-কৃষ্ণই উপ্‌যাচি গৈ জঁাপ দিবলৈ কিয় ওলাইছে? আৰু তাকে কৰি সিবিলাকে অভাগিনী মাকহঁতৰ কিয় বধবাৰি লবলৈ ওলাইছে! সিবিলাকে সেইদৰে উপ্‌যাচি গৈ কংস-যমৰ হাতত আত্মবলি পৰি দুৰ্ভগীয়া পিতৃ বসুদেৱৰ আৰু হতভাগিনী মাতৃ দৈৱকীৰ চৈধ্যবছৰীয়া কষ্টব্ৰত কিয় বিফল কৰিবলৈ ওলাইছে! মাকৰ ইত্যাদি মৰ্ম্মস্পৰ্শী বুজনি-বাণী শুনি শুনি ৰাম কৃষ্ণ বিমোৰ হল, ভালেখিনি পৰ দুয়ো নিটাল মাৰি ৰল। তাৰ পাচত, অতি নম্ৰভাৱে আৰু কৰুণবাণীৰে কৃষ্ণই মাহীমাকৰ প্ৰশ্ন কাটি ধীৰে ধীৰে এইবুলি সমিচাৰ দিলে, "মাতৃ, মনৰপৰা সকলো অপায়-অমঙ্গলৰ আশঙ্কা বাজ কৰা, সেই আশঙ্কাৰ জইন্ মাৰিবলৈ হে আমি মথুৰালৈ ওলাইছোঁ। আমাৰ বলশক্তিৰ ওপৰত যদি অলপো বিশ্বাস ৰহিছে, তেন্তে আই, নিচিন্তে থাকিবা, 'কংসকো মাৰিম, বংশকো তাৰিম, আমি ৰামে-কানায়ে'[২]।' অকস্মাৎ কোনো আগন্তুক আপদত পৰিলেও আমাৰ

---

(১) ৰোহিণী দেৱী শ্ৰীকৃষ্ণৰ বৰমাক হে হয়, কিয়নো, বলৰামৰ মাক ৰোহিণী দেৱী বসুদেৱৰ প্ৰথমা ভাৰ্য্যা, আৰু শ্ৰীকৃষ্ণৰ মাক দৈৱকী দেৱী সবাতকৈ সৰু ভাৰ্য্যা। ইয়াত 'মাহীমাক' মানে মাকৰ সতিনীক বুজোৱা হৈছে।

(২) গোপিনী-কীৰ্ত্তনত আজিকোপতি এই নাম-ফাঁকিৰ সুৰ লগা আছে। দৈৱকীৰ গৰ্ভাধানৰ ক্ষণত হেনো শ্ৰীকৃষ্ণই তেওঁত এই বুলি নিবেদিছিল, "দৈৱকী আই, গৰ্ভত দিয়াঁ ঠাই।" দৈৱকীয়ে সন্নিধান দিলে

সহায়ৰ নিমিত্তে পিতাদেৱ নন্দৰাজে ভাল উপায়-যুগুতি কৰিছে। তেওঁৰ গুপুত আয়োজনমতে আমাৰ বছা বছা গোপসকল আৰু আশে-পাশে থকা বৃন্দাবন-বনবাসী জাতি-বিলাকৰ বাছকবনীয়া বলী আৰু যুঁজাৰু মানুহ আমাৰ লগত যাবলৈ ভালেমান সাজু হৈছে। সিবিলাকৰ লগতে আমাৰ গৰখীয়া সেনাদলো লগলগাবৰ দিহা কৰোঁগৈ, যাও। মাতৃ, হৰিষচিত্তৰে বিদায় দিয়ঁা।" এইবুলি ৰাম-কৃষ্ণ বেগাবেগিকৈ ওলাই গল।

ৰাম-কৃষ্ণই এৰি যোৱাৰ পাচত, অক্রূৰে শয্যাত পৰি ভালেমানপৰ আকাশ-পাতাল ভাবি ভাবি টোপনি যাবলৈ চেষ্টা কৰিলে, কিন্তু নিদ্ৰাদেৱী সেই ৰাতিৰ আগভাগত অক্রূৰৰ প্ৰতি নিকৰুণ হল, তেওঁ ইচ্ছা কৰিও চিন্তা এৰিব নোৱাৰাত, বহুপৰ বলেৰে নিটাল মাৰি থাকিও টোপনি আনিব নোৱাৰিলে। শেহান্তৰত অগত্যা তেওঁ শয্যা এৰি আহি নন্দৰাজৰ কাষ চাপিলহি। নন্দৰাজৰো মনৰ অৱস্থা তথৈবচ। তথাপি, তেওঁ যেনিবা ইতিমধ্যতে মথুৰাযাত্ৰাৰ আয়োজনৰ অৰ্থে বাহিৰত ফুৰি-চাকি অহাত তেওঁৰ মনৰ ভিতৰুৱা ভাব অলপ পাতল হৈ আছিল। যি হওক, তাৰ পাচত নন্দ-অক্রূৰৰ কথোপকথন আৰম্ভ হল। সেই ছেগতে মথুৰাযাত্ৰাৰ আয়োজনৰ বিষয়ে, লগত যাবলগীয়া সৈনিকবলৰ ব্যৱস্থাৰ বিষয়ে নন্দই অক্রূৰৰ আগত পৰিপাটিকৈ জ্ঞাপন কৰিলে। আদ্যোপান্ত শুনি অক্রূৰ সেই বিষয়ত নিশ্চিন্ত হল। তাৰ পাচত, মথুৰাত গৈ পোনেই কি কি কৰিবগৈ, আৰু কংসৰাজৰ আগত তেওঁ কি ভাৱে সিবিলাকৰ আগমনৰ বাৰ্ত্তা জনাবগৈ, আৰু তাৰপৰা ধৰ্ম্মযজ্ঞৰ কাৰ্য্য আৰম্ভ হোৱালৈকে এই সময়ৰ ভিতৰত কেনে সতৰ্কভাৱে ৰাম-কৃষ্ণৰ গা-চোৱা ব্যৱস্থা কৰিব লাগিব, ইত্যাদি বিষয়ে দুয়োজন মতিমান পুৰুষে ভালেমান পৰ পৰিপাটিকৈ আলোচনা কৰি দুয়ো নিশ্চিন্ত হল। তাৰ পাচত, মনৰ উগুল-থুগুল ভাব মাৰ নিয়াই দুয়ো শান্তিৰে সৈতে শয্যাত পৰি নিদ্ৰাদেৱীৰ কোলাত লাল্‌কাল্‌ দি আপোন-পাহৰা হলগৈ।

অষ্টাদশ আধ্যা

প্ৰথম ছেদ

বৃন্দাবন-বিদায়

মথুৰা যাত্ৰাৰ সময় চাপি হাত পালেহি। হাবিয়লীয়া জাতিবিলাকৰ শকত আৱত বলী যুজাৰু মানুহ ভাগে ভাগে জুম্‌ জুমকৈ আহি নন্দালয়ত যাত্ৰাৰ নিমিত্তে সাজু হলহি। গোপসকলৰ ভিতৰৰো চতুৰ, কৌশলী, বুদ্ধিমান, বলবান, বিজ্ঞ, অভিজ্ঞ এনেবিলাক বাছকবনীয়া লোক যাত্ৰী হৈ উপস্থিত হলহি। নন্দৰাজৰ আদেশ আৰু উপদেশ অনুযায়ী ৰাজ-উপহাৰৰ অৰ্থে দৈ, ঘিঁউ, নৱনী, মাখন, আলু, কচু, আম, কঁঠাল, লেটেকু, পনিয়াল, কল, কুঁহিয়াৰ আদি বিবিধ সুখাদ্য সামগ্ৰী ভাৰীবিলাকে ভাৰে ভাৰে আনি আগে আগে থৈ লালী পাতিলেহি[১]। গৰখীয়া সৈনিকদলৰো ৰাম-কৃষ্ণৰ বাছনিত উঠাবিলাকে সাজু হৈ যোগ দিলেহি। তাৰ পাচত, ৰাজযোগ্য সাজেৰে সুসজ্জিত হৈ গোপ-বাহনত চৰি নন্দৰাজ স্বয়ং উপস্থিত

বোলে, "সাত পো জন্মালোঁ, কংসে নিলে মাৰি, আছোঁ মই আঠু-হাত পাৰি!" সেই সমিধান পাই শ্ৰীকৃষ্ণই ঘূৰি এই সম্বিচাৰ দিয়ে, "কংসকো মাৰিম, বংশকো তাৰিম, আমি ৰাম-কানায়ে।" কল্পনাৰ পাখি-লগা যদিও, কথা-ফাঁকিৰ আঁতিগুৰি আছে।

(১) হৰিবংশ, বিষ্ণুপুৰাণ আৰু শ্ৰীমদ্ভাগৱত মতে, গোপৰাজ নন্দই অক্রূৰৰ মুখে কংস ৰজাৰ কৃষ্ণবধ ষড়যন্ত্ৰৰ বিষয়ে সবিশেষ সন্ধেদ্‌ পাই, তেওঁ বাহ্যিক আড়ম্বৰেৰে ৰাজ-নিমন্ত্ৰণ পালন কৰিবলৈ ওলাইছিল। সেই কাৰণে, সেই উদ্দেশে বৃন্দাবনৰ গোপ-উপনিবেশৰ বিশেষত্ব ৰাখি মথুৰা-যাত্ৰালৈ লগত ৰাজযোগ্য উপহাৰাদি যুগুত কৰি লৈছিল।

যেনে,—গোপান্তময়সঙ্গস্ত নন্দাদ্যাঃ শকটৈস্ততঃ।
আদায়োপায়ণং ভুৰি কুম্ভান্‌ গোৰসসম্ভৃতাম্‌॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধ্যা, ৩১ শ্লোক।

(ক) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৮২ আধ্যা।

হলহি। এইদৰে ইফালৰ সকলোবিলাক আহি সমবেত হোৱা দেখি, সদোশেহত অক্রূৰৰ আদেশানুসাৰে সাৰথিয়ে ৰাজকীয় ৰথ আনি বাটচ'ৰাত সাজু কৰিলেহি। সকলো আহিল, সকলো চাপিলহি, সকলো যে-জা হৈ উঠিল,— কেৱল ৰাম-কৃষ্ণ আহি ৰথত চৰিলেহিয়েই মথুৰাযাত্ৰাৰ খোজ লব পৰা যায়।

শুভযাত্ৰাৰ নিমিত্তে সকলো যুগুত হৈ উঠিল, মাথোন ৰাম-কৃষ্ণ নাই। নন্দ আৰু অক্রূৰ প্ৰমুখ্যে যাত্ৰীবৰ্গ ৰাম-কৃষ্ণৰ প্ৰতীক্ষাত বৈ আছে, কিন্তু ৰাম-কৃষ্ণ পোৱাহি নাই। যাত্ৰীবৰ্গে, বিশেষকৈ অক্রূৰ উদ্বিগ্ন হৈ বাট চাইছে, কিন্তু ৰাম-কৃষ্ণ নোলায়হি!—ওলায়হি কেনেকৈ, ৰাম-কৃষ্ণ যে লগৰীয়া গৰখীয়াবৃন্দৰ মাজত বিমোৰ, বিভোল! ৰাম-কৃষ্ণই প্ৰাণবন্ধু গৰখীয়াবৃন্দৰ প্ৰত্যেকটিকে ভিঙ্গিত ধৰি চুমা দিয়েই অন্ত পেলাব পৰা নাই! যাত্ৰীৰ লগত যোগ দিয়েহি কেনেকৈ! প্ৰত্যেকটিৰ ওচৰত বিদায় লৈছে, কিন্তু কাৰো আগত এই শেষ মুহূৰ্ত্ততো 'যাওঁ' বুলিবলৈ ৰাম-কৃষ্ণৰ সত যোৱা নাই, "আমি আহোঁগৈ দেই", দুইৰো মুখত বিদায়-মাগনি ইমানেই হে। ৰামকৃষ্ণ-অনুৰাগী গৰখীয়াবৃন্দৰো উলটি সেই দেশাই, সিবিলাকৰ কেঁৰে 'যোৱাঁ' বা আহিবাঁগৈ বুলিবলৈকো মাত ফুটাব পৰা নাই, সিবিলাকৰ প্ৰত্যেকৰে সাদৰী সমিধান মাথোন দুধাৰি চকু-লো! নিচেই সৰু সৰু ল'ৰা-ছোৱালীবিলাকে মাথোন 'নাযাবাঁ' 'নেৰিবা' বুলি ৰাম-কৃষ্ণক সাবটি ধৰি কান্দিবলৈ ধৰিছে! সেই অমায়িক অবুজন ল'ৰা-ছোৱালীবৃন্দক বুজোৱা ইমান টান হৈ উঠিছে যে, তাৰ নিমিত্তে মতিমান শ্ৰীকৃষ্ণৰো মতিভ্ৰম ঘটিছে, তেওঁৰ মুখত কথাৰ সাগৰ শুকাই তৰ পৰিছে! সেই অজলা সৰল গৰখীয়া ল'ৰা আৰু গোপিনী ছোৱালীবিলাকক মুখেৰে বিদায়-বুজনি দিবলৈ গৈ শ্ৰীকৃষ্ণ আজি বাস্তৱতে অবাক্! শ্যাম-শেখৰৰ হিয়াখাল বুকুৰ ওপৰে বৈ যোৱা দুটি ৰূপালী জুৰিৰ দৰে কৃষ্ণবক্ষৰ ওপৰে বৈ যোৱা নিয়ৰৰ পানী যেন দুধাৰি চকুলোৱে মাথোন হৃদয়ৰ মৰ্ম্মভেদী ভাব ব্যক্ত কৰিছে। ভাবত নিমগ্ন নিষ্মাত বলোৰামৰ যে মাতেই নাই, তেওঁ কৃষ্ণৰ গাৰ ছাঁ লৰাদি লৰি ফুৰিছে মাথোন, কথাৰে বা ভঙ্গীৰে কাকো একো কব পৰা নাই। গৰখীয়া-ৰজা বনমালীৰ আগন্তুক বিচ্ছেদৰ মৰ্মস্পৰ্শী উতলাভাবে সেই গৰখীয়া ল'ৰা আৰু গোপিনী ছোৱালীবৃন্দৰ অন্তৰত কি যে উগুল-থুগুল লগাইছিল, তাক ফুটাবলৈ কথাৰ অভাৱ![1] সি অনুভৱৰ হে ভিতৰ। এনেতে দুয়ো পক্ষৰ এনে বিমোৰ অৱস্থাত অক্রূৰে ছেগ চাই নিলগৰপৰা ভূমুকি মাৰি গা-দেখা দিয়া মাত্ৰকে ৰাম-কৃষ্ণ আৰু গৰখীয়া ল'ৰা-ছোৱালীবিলাকৰ মাজত চাঁত্‌কৰে হিয়াফলা বিচ্ছেদ ঘটিল!

গৰখীয়া ল'ৰা-ছোৱালীৰ মোহ-বান্ধনীৰপৰা এৰাই আহি ৰাম-কৃষ্ণ আকৌ এক মায়াজালত পৰিলহি;— গোপিনীবৰ্গে চাৰিওফালৰপৰা সমবেত যাত্ৰীবৰ্গক মেৰাই ধৰি কৃষ্ণৰ প্ৰতীক্ষাত উদ্বাউল দি আছেহি! অক্রূৰে দেখি বিবুদ্ধি হৈ নিষ্কৃতিৰ উপায় চিন্তিবলৈ ধৰিলে। ভাবুক বলভদ্ৰও সেই ভাবত আকৌ বিভোল হৈ পৰিল। এনেতে, কিবা কৌশলেৰে শ্ৰীকৃষ্ণই সেই মায়াজাল ফালি এৰাই আহি ৰাম আৰু অক্রূৰৰ লৈতে গৈ, সাজু কৰি থোৱা ৰথত চৰিলগৈ; গোপিনীসকলে দেখি হতাশৰ খুন্দাত বিহ্বল হৈ বিনাবলৈ ধৰিলে। আগন্তুক কৃষ্ণ-বিৰহৰ সন্তাপে গোপিনী-বৰ্গৰ হৃদয় এনে তীব্ৰভাৱে ব্যথিত কৰিবলৈ ধৰিলে যে, সিবিলাকৰ মুখৰ কান্তি মলিন হৈ আহিল, কোনো কোনো গৰাকীৰ খোপাৰ বান্ধ মুকলি হৈ চুলি আউল-বাউল হল, আৰু কোনো-কোনোৰ গাৰ বস্ত্ৰ আৰু অলঙ্কাৰ খহি খহি পৰিল।[2] কোনো-কোনো গৰাকী গোপিনী কৃষ্ণ-চিন্তাত বাহ্যজ্ঞান হেৰুৱাই ঠৰলাগি আপোন-পাহৰা হৈ পৰিল।[3] কোনো-কোনো গৰাকী শ্ৰীকৃষ্ণৰ মনোমোহা হাঁহি আৰু মৰ্মস্পৰ্শী মনোজ্ঞ ভাবৰ বিচিত্ৰ ভাব-ভঙ্গী আৰু মৌ-বৰষা মুখৰ কথা আদিলৈ সুমৰি সুমৰি তধা লাগিল।[4] আগন্তুক কৃষ্ণ-বিৰহ যথাৰ্থ হোৱাৰ সম্ভাৱনা যতেক বাঢ়িবলৈ ধৰিলে,

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধ্যা, ১২ শ্লোক।
(২) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধা, ১৩ শ্লোক।
(৩) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধ্যা, ১৪ শ্লোক।
(৪) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধ্যা, ১৫-১৬ শ্লোক।

ততেকে গোপিনীসকল অধৈৰ্য্য হৈ পৰিল। এনে কি, ধৈৰ্য্য হেৰুৱাই সিবিলাকে জুম্ জুম্ হৈ এই বুলি বিধাতাক নিন্দা কৰিবলৈ ধৰিলে, "হে বিধাতা! তোমাৰ হিয়াত আজি লেশমানো দয়াৰ সঞ্চাৰ নোহোৱা হল; প্ৰিয়জন-মিলন ঘটাই সেই মিলনৰ মনোৰথ পূৰ্ণ হবলৈ নৌ পাওঁতেই তুমি অকস্মাৎ বিচ্ছেদ ঘটাবলৈ ধৰিছা; ই কি আচৰিত, তোমাক উদ্দেশ্যবিহীন ল'ৰাৰ নিচিনা নিৰৰ্থক যেন হে দেখিছোঁ।[১] সুনীল অলকামণ্ডিত সৰ্ব্বসন্তাপহাৰী হাঁহি-ভৰা শ্ৰীকৃষ্ণৰ মুখকমল আমাক এবাৰ দেখুৱাই তৃপ্তি পলোৱাবলৈ নোপাওঁতেই তুমি আকৌ যে হৰি নিবলৈ বিচাৰিছা, সেই বাবে তুমি নিশ্চয় নিন্দনীয়।"[২]

সিবিলাকে বিননিত কৃষ্ণগুণ-কীৰ্ত্তনেৰে গছৰ পাত খিলি-খিলিকৈ লৰাবলৈ ধৰিলে। কৃষ্ণৰ বিহনে গোপিনী-বৰ্গৰ নো কি বিলাই হব, কৃষ্ণৰ অভাৱে ব্ৰজবাসীৰ নো কি বিপত্তি ঘটিব, কৃষ্ণ-শূন্য বৃন্দাবন নো কেনেকৈ মৰিশালি যেন হব ইত্যাদি বিষয়ে বিননিত মৰ্ম্মস্পৰ্শী বৰ্ণনা কৰিবলৈ ধৰিলে। তাৰ পাচত, আকৌ নিদাৰুণ বিধাতাক স্মৰণ কৰি, তেওঁকে সৰ্ব্বজঞ্জালৰ মূল কাৰণ ভাবি, এই বুলি গৰিহণা দিবলৈ ধৰিলে, "হে বিধাতা! অক্ৰূৰ নাম লৈ মহা ক্ৰূৰমতি তুমিয়েই এই উৎপাত ঘটাবলৈ ধৰিছা, যি চকুৰে চাই আমি মৌচাক যেন শ্ৰীকৃষ্ণৰ অঙ্গ-প্ৰত্যঙ্গাদিত তোমাৰ বিচিত্ৰ সৃষ্টিৰ বিতোপন কৌশল দেখা পাওঁ, আজি আমাৰ চকুৰ আগৰপৰা তোমাৰ দত্ত সেই মনোমোহা ৰূপ আকৌ তুমি নিজে অপহৰণ কৰি আমাৰ বধবাৰি ঘটাই নাৰীহত্যা পাপৰ ভাগী হবলৈ ওলাইছাহি।"[৩] এই দৰে বিধাতাক নিন্দা কৰি ভাগৰি গোপিনীবগে এইবাৰ কৃষ্ণ-নিন্দাত ধৰি, এই বুলি আক্ষেপ কৰিবলৈ ধৰিলে, "হায়, আমাৰ কি দুৰ্ভাগ্য, প্ৰাণপ্ৰতিম শ্ৰীকৃষ্ণও যে নিকৰুণ! নন্দনন্দন শ্ৰীকৃষ্ণ ফাঁকিয়াল, ভঙ্গপ্ৰেমিক, তেওঁ নিতৌ নতুন বিচাৰে; নহলে নো যি তেওঁকে লাগি নিজৰ ঘৰ-দুৱাৰ, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ, পতি-পুত্ৰ আদিকো পাহৰি তেওঁলৈ সততে ধাউতি ৰাখিছে, এতিয়া সেই কৃষ্ণ-অনুৰাগিনী গোপিনীবৰ্গলৈ তেওঁ উলটি নোচোৱা হয়নে!"[৪]

গোপিনীসকল ৰথৰ ফালে উত্ৰাৱল হৈ আগ বাঢ়িল। অক্ৰূৰে গতিক বিষম দেখি, সঙ্কেতত শ্ৰীকৃষ্ণৰ অনুমতি লৈ ৰথ চলাই দিবলৈ সাৰথিক আদেশ দিলে। সেই আদেশ পালনলৈ সাৰথিক সন্তম তোৱা দেখি, গোপিনীসকলৰ কিছুমানে উৰি যোৱাদি গৈ ৰথ আগচি ধৰিলেগৈ, কেই-গৰাকীমান ৰথৰ চকৰিত ওলমি পৰিলগৈ। অক্ৰূৰ অবাক্! ৰাম-কৃষ্ণ বিবুদ্ধি! নন্দৰাজৰ আদেশ-উপদেশো নৰজে! আন কি, সেই সময়ৰ অৱস্থা বুজি ব্যৱস্থা কৰিবলৈ শ্ৰীকৃষ্ণৰ উপস্থিত বুদ্ধিয়েও হাৰ মানিলে। শেহান্তৰত নিৰুপায় হৈ বলেৰে ৰথ চলাই নিবলৈ গোপৰাজ নন্দই টান মুখীয়াকৈ আদেশ দিলে। সেই আদেশ শিৰোধাৰ্য্য কৰি সাৰথিয়ে অগত্যা ৰথ চলাই দিলে। কিন্তু, সিও গুণ ধৰাব নোৱাৰিলে,—আন কিছুমান গোপিনী লৰি গৈ আগ হৈ দীঘল দি দি পৰি পথ অৱৰুদ্ধ কৰিলেগৈ! এইবাৰ একেবাৰে অন্য উপায় নোহোৱা হল,—চকু-লো টুকি টুকি শ্ৰীকৃষ্ণই অগত্যা ৰথৰপৰা নামি আহি গোপিনীসকলক মাটিৰপৰা আথে-বেথে দাঙ্গি ধৰিলেগৈ। সেই অৱসৰতে পিচ পৰি যোৱা গোপিনীদলেও উধাতু খাই আগ বাঢ়ি গৈ শ্ৰীকৃষ্ণক আবৰি ধৰিলেগৈ। আৰু, সেই ছেগতে অক্ৰূৰক হাততে পাই গোপিনীসকলে অজস্ৰ কৰ্কথনা কৰিবলৈ ধৰিলে। সমবেত গোপিনীবৰ্গে মুখে-মুখে অক্ৰূৰত এইবুলি দোষাৰোপ কৰিবলৈ ধৰিলে, "এই অক্ৰূৰ-অসুৰেই আমাৰ

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধ্যা, ১৭ শ্লোক।
(২) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধ্যা, ১৮ শ্লোক।
(৩) ক্ৰূৰস্ত্বমক্ৰূৰ সমাখ্যায়া স্ম নশ্চক্ষুৰ্হি দত্তং
হৰসে বতাজ্ঞবৎ।
যেনৈকদেশেঽখিলসৰ্গসৌষ্ঠবং ত্বদীয়মদ্ৰাক্ষ্ম
বয়ং মধুদ্বিষঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধ্যা, ১৯ শ্লোক।
(৪) ন নন্দসূনুঃ ক্ষণভঙ্গসৌহৃদঃ সমীক্ষতে নঃ
স্বকৃতাতুৰা বত।
বিহায় গেহান্ স্বজনান্ সুতান্
পতীংস্তদ্দাস্যমদ্ধোপগতা নবপ্ৰিয়ঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধ্যা, ২০ শ্লোক।

শনি হুলহি! এই শনিয়েই আমাক ছিদ্ৰ চাই ছলিলে হি! এওঁক ব্ৰজৰ গোপিনীয়ে কি দায় লগাইছিল?---ক'তা আমিচোন কেৰে চৰাইটি হৈ চাউলটি খুটি খোৱা নাই এওঁৰ! এওঁ কাৰ চক্ৰান্তত আজি বৃন্দাবনৰ গোপিনীক অনাথ কৰিবলৈ আহিছে? কি উদ্দেশে এওঁ আমাৰ প্ৰাণ-হৰিক হৰি নি গোপিনীৰ বধ-বাৰি লবলৈ বৃন্দাবনত সোমাইছেহি? ধৰাঁহঁক, পাচত যি হয় সেয়ে হব, আমি অক্ৰূৰেসৈতে আমাৰ প্ৰাণকৃষ্ণক ধৰি ৰাখোঁহঁক।" এইবুলি উদ্বাউলী গোপিনীবৰ্গৰ এযোৰাই অক্ৰূৰক ৰথৰপৰা টানি নমাই আনি হাতে-বাউসিয়ে, কঁকালে-উৰুৱে জপতিয়াই ধৰি বন্দী কৰি এইবুলি মুখে-মুখে ককৰ্থনা কৰিবলৈ ধৰিলে,—"তুমি নিতান্ত করুণাহীন, ক্ৰূৰমতি,—তোমাক 'অক্ৰূৰ' বোলাটো নিশ্চয় অবিধি হৈছে। অহ, যাৰ অন্তৰত ইমান হিংসা, ইমান ঈৰ্ষা, সিনো অক্ৰূৰ নামৰ যোগ্য নে? হাঁয়, কি যে নিকৰুণ চিত্! যি শ্ৰীকৃষ্ণক আমি নিজৰ প্ৰাণতকৈও প্ৰিয়তম বোধ কৰোঁহঁক, সেই গোপীনাথক এওঁ গোপিনীৰ চকুৰ আগৰপৰা আঁতৰাই লৈ যাবলৈ আহিছে! কিন্তু, আমি যে প্ৰাণহৰিৰ বিৰহত জীয়াতে মৰা হব লগা হৈছোঁহঁক, তাৰে এই ক্ৰূৰমতিয়ে কটাহিকে কৰা নাই, এনে কি, একেষাৰ সান্ত্বনা বাক্যেৰে আমাক প্ৰবোধ দিবলৈকো এওঁৰ মন যোৱা নাই[১]! এতেকে, ধৰাঁহঁক, এওঁৰ 'অক্ৰূৰ' নাম কাটি লৈ এই ছেগতে এওঁক যথাযোগ্য নাম লগাই পঠিয়াওঁহঁক।" এই বুলি এযোৰাই ৰথৰ চকৰিত ওলমি পৰি তাৰ গতিৰোধ কৰিলে, এযোৰাই বলেৰে হাতৰপৰা ৰথৰ বাঘজৰী কাঢ়ি লৈ সাৰথিক অকৰ্ম্মণ্য কৰিলে, এযোৰাই ৰথৰ ঘোঁৰা মোকলাই দিবৰ অৰ্থে হাতে-হাতে তাৰ বান্ধ-ছাত মেলিবলৈ ধৰিলে; এযোৰাই বলৰামৰ পাৱত পৰি কাকুতি কৰিবলৈ ধৰিলে; আন এযোৰাই প্ৰাণধন শ্ৰীকৃষ্ণক সুদৃঢ় বাহু-বান্ধনীৰে সৈতে সতকাই এৰাব নোৱাৰাকৈ গৰা-গাবিকৈ সাবটি ধৰিলে। নাৰী সেনানীৰ এনে বিষম বিক্ৰম দেখি বলৱন্ত পুৰুষ যাত্ৰীবৰ্গে বিস্ময় মানিলে! সদৌ যাত্ৰী গোপবৰ্গে গোপিনীসকলক ক্ষান্ত হবলৈ বিস্তৰ আদেশ-উপদেশ দিও একো গুণ ধৰাব নোৱাৰাত পৰিল। শেহান্তৰত, যেতিয়া নিমাত শ্ৰীকৃষ্ণৰ মুখৰ অমিয়ামাত ওলাল, তেতিয়াই সমস্ত গোপিনী থমক্ খাই ৰৈ গল; শ্ৰীকৃষ্ণই যেতিয়া 'আকৌ আহিমগৈ' বুলি ঘূৰি ঘূৰি প্ৰবোধ দিবলৈ ধৰিলে, তেতিয়া অলপ আশ্বাস পাই গোপিনীসকল এক্ষন্তেক ক্ষান্ত হল। সেই অৱসৰতে অক্ৰূৰেসৈতে শ্ৰীকৃষ্ণ আকৌ ৰথত চৰিলগৈ, আৰু সঘনে পাই থকা সঙ্কেত অনুসৰি সাৰথিয়ে সেই ছেগতে বায়ুবেগেৰে মথুৰা অভিমুখে ৰথ চলাই দিলে। গোপিনীসকল চিত্ৰাৰ্পিত হৈ ৰথৰ পিচলৈ চাই চাই চাইয়ে ৰল, চাওঁতে চাওঁতে ৰথ সিবিলাকে মণিব নোৱাৰা হলগৈ *। তাৰ পাচত, গোপিনীবৰ্গে মাটিত ঢলি ঢলি পৰি বাগৰি বাগৰি মনেপতা ঈৰ্ষাভাবত জ্বলি-পুৰি মৰি এই বুলি বিনাবলৈ ধৰিলে,—"হাঁয়, আজি মথুৰাবাসিনীসকলৰ সুপ্ৰভাতৰ আগন্তুক মিলিছে। আজি সিবিলাকৰ ভাগ্য সুপ্ৰসন্ন, আজি সিবিলাকৰ মনৰ সকলো বাসনা পূৰ্ণ হব। অহ, শ্ৰীকৃষ্ণ গৈ যেতিয়া সিবিলাকৰ নগৰত প্ৰৱেশ কৰিবগৈ, তেতিয়া প্ৰেমবীক্ষণত বিকশিত মধুৰ হাঁহিভৰা তেওঁৰ মুখকমল চাই চাই সিবিলাকে কিযে অনুপম সুখ অনুভৱ কৰিব। মথুৰাবাসিনীগণৰ মনোমোহা মধুৰ আলাপনত শ্ৰীকৃষ্ণই যেতিয়া যোগ দিবগৈ, যেতিয়া সিবিলাকৰ লাজুকীয়া হাঁহিয়ে তেওঁৰ মন টানি নিব, যেতিয়া তেওঁৰ পিতৃবৎসলাদি ধীৰভাব ক্ৰমাৎ মাৰ যাবলৈ ধৰিব, তেতিয়া আমাৰ নিচিনা আজলী, আঁকৰী, চাহিনী

(১) নৈতদ্বিধস্যাকৰুণস্য নাম ভূদক্ৰূৰ ইত্যেতদতীব দাৰুণঃ।
যোহসাবনাশ্বাস্য সুদুঃখিতং জনং প্ৰিয়াৎপ্ৰিয়ং নেষ্যতি পাৰমধ্বনঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধ্যা, ২৪শ শ্লোক।

* শ্ৰীমদ্ভাগৱত দশম স্কন্ধ, ৩৯ আধ্যা। বিষ্ণুপুৰাণ আৰু হৰিবংশতো এই সংসৰ্গত ব্ৰজ-গোপিনীসকলৰ পৱিত্ৰ কৃষ্ণপ্ৰেমৰ মৰ্ম্মস্পৰ্শী বৰ্ণনা দিয়া হৈছে। বিষ্ণুপুৰাণত একে-আষাৰে গোপিনীসকলৰ নিজমুখে এই পৰম নিৰ্ম্মল পুণ্য প্ৰেম এইবুলি ব্যক্ত কৰোৱা হৈছে, "কব নোৱাৰোঁ, কিয়নো, যশোদা-নন্দন শ্ৰীকৃষ্ণক ইমান ভাল পাওঁহঁক!"

গোপিনীলৈ কি আৰু তেওঁৰ মনত পৰিব? নাইবা, সেই দুভাগিনীবৰ্গৰ অনুৰোধ অৱহেলি আকৌ কি প্ৰাণহৰি মথুৰাৰপৰা বৃন্দাবনলৈ উলটি আহিব?—কেতিয়াও নাহে! আজি মধুপুৰত দাশাৰ্হ, ভোজ, অন্ধক, বৃষ্ণি আৰু সাত্বত যাদৱগণৰ অপূৰ্ব্ব নয়নোৎসৱ মিলিব! সৌন্দৰ্য্য আৰু মাধুৰ্য্যৰ মণি শ্ৰীপতি দৈৱকীনন্দনক বাটত দৰ্শন লাভ কৰি সিবিলাকৰ চকু চৰিতাৰ্থ হব।[১]

দ্বিতীয় ছেদ

অক্ৰূৰৰ মথুৰা-প্ৰত্যাগমন

গৈ গৈ ৰথ যমুনাঘাট পালেগৈ। সেই ছোৱা বাট কেনি নো আহিল, অক্ৰূৰে কব নোৱাৰে। গোপিনীবৰ্গৰ হাতত জীৱনৰ বাকীছোৱা কাল বন্ধোৱা ৰবগৈ লাগিব বুলি হে তেওঁৰ বোধ হৈছিলগৈ। গোপিনীৰ মায়াজাল এৰাই ৰাম-কৃষ্ণ যে বৃন্দাবন এৰি আহিব পাৰিব, এনে ধাৰণাও অক্ৰূৰৰ বিচূৰ্ত্তি-বিবুদ্ধি মনৰপৰা বাজ হৈছিল। তেওঁ কিংকৰ্ত্তব্যবিমূঢ় হৈ থাকোতেই যে বিজুলীৰ দৰে চাত্‌কৰে সিবিলাক সঁচাসঁচিকৈ এৰাই আহিল, সেইটো ভালেখিনি পৰলৈকে তেওঁৰ বিশ্বাসেই নহৈছিল। তেওঁ মনে-প্ৰাণে হৰিক ধ্যান কৰি বিমোৰ-বিহ্বল আৰু সংজ্ঞাশূন্য অৱস্থাত এইবুলি কাতৰ কৰি গাই আহিছিল, "হে হৰি, তোমাক স্মৰোঁ, সদৌ আপদত তৰোঁ, ইবাৰ সাবটি হৰি, আছোঁ মই ধৰি, তেবে কিয় আশঙ্কাত মৰোঁ?" এই ভাবি ভাবি তেওঁ সেই যে চকু মুদিলে, তাৰেপৰা যমুনাঘাট আহি পোৱালৈকে আৰু চকু নেমেলিলে! কিয়নো, চকু মেলিলেই যেন গোপিনীৰ আপদ-জালে তেওঁক আকৌ মেৰাই ধৰেহি। যেতিয়া যমুনাঘাট আহি পোৱাত সাৰথিয়ে ৰথ ৰখালেহি, তেতিয়া হে অলপ সংজ্ঞা লাভ কৰি অক্ৰূৰে লৰালৰিকৈ চকু মোহাৰি মোহাৰি ৰাম-কৃষ্ণ আছে নে নাই চাবলৈ ধৰিলে। তাৰপাচত, ঘোঁৰাক অলপ সকাহ লবলৈ দি, আৰু পিচত আহি থকা যাত্ৰীসকলো আহি পাওকহি বুলি, তাতে ৰথ ৰখোৱা হল। ইতি অৱসৰতে, অলপ প্ৰকৃতিস্থ হৈ, অক্ৰূৰে ৰথৰ ওপৰতে ৰামকৃষ্ণক বহুৱাই থৈ, সিবিলাকৰ অনুমতিক্ৰমে আহ্নিক-ক্ৰিয়া সমাধা কৰিবৰ উদ্দেশ্যে যমুনাত স্নান কৰিবলৈ নামিলে গৈ। নামি, অনন্তশায়ী বিষ্ণুক চিন্তি তেওঁ যমুনাজলত এটা দম বুৰ মাৰি ৰল। বৈ, পানীৰ তলতে আহ্নিকত কৃষ্ণধ্যান কৰিলে। সেই অৱস্থাত অক্ৰূৰে দেখি বিস্ময় মানিলে যে, যমুনাৰ গৰ্ভতো সেই ৰাম-কৃষ্ণ! তেওঁ অতিশয় বিস্মিত হৈ, লৰালৰিকৈ পানীৰ তলৰপৰা মূৰ উলিয়াই পাৰলৈ চাই দেখে যে, পাৰত একো পৰিবৰ্ত্তন হোৱা নাই, ৰাম-কৃষ্ণ ৰথৰ ওপৰত বহি থকা ভাগেই আছে। অক্ৰূৰে পানীৰ তলত দেখা সেই দৃশ্য ভ্ৰমমূলক ভাবি কাকো একো নোকোৱাকৈ পুনৰ যমুনাত নামি বুৰ দি আকৌ তেওঁ সেই আহ্নিক পূজাৰ ধ্যানত মগ্ন হলগৈ। পিচে, ধ্যানত মগ্ন হোৱা মাত্ৰকে পুনৰপি তেওঁ যমুনাগৰ্ভত ৰাম-কৃষ্ণৰ জীৱন্ত ৰূপ দৰ্শন কৰিলে। দেখি, বিস্ময় মানি, তেওঁ ততালিকে পানীৰ তলৰপৰা মূৰ উলিয়াই পাৰলৈ চাই পঠিয়াই দেখে যে, ৰাম-কৃষ্ণ পূৰ্ব্বৱত ৰথৰ ওপৰতে। এইবাৰ তেওঁৰ কৌতূহল আগতকৈও বাঢিবলৈ ধৰিলে। গতিকে, তেওঁ আপোন ভাবত বিভোল হৈ, আৰু বাৰেবেৰেক বুৰ্ দি দি পানীৰ তলত ভগবান শ্ৰীকৃষ্ণ-ৰূপ ক্ৰমাৎ অলৌকিকভাৱে দৰ্শন কৰি পুলকিত হৈ উঠিল। শেহান্তৰত, ভগবদ্ভাবত তন্ময় হৈ ভগবদ্ভক্ত অক্ৰূৰে তেওঁৰ আৰাধ্য দেৱতা স্বয়ং বৈকুণ্ঠৰ শ্ৰীকৃষ্ণৰ পূৰ্ণকলা বৃন্দাবনৰ শ্ৰীকৃষ্ণত সাক্ষাৎস্বৰূপে প্ৰতিভাত হোৱা দৰ্শন লাভ কৰিবলৈ ধৰিলে। তেওঁ কৃষ্ণভক্তিত অভিভূত হৈ যমুনাগৰ্ভত অনন্তশয্যাত অনন্তফণাৰ শান্তি-ছায়াত শ্ৰীকৃষ্ণক বিশ্ৰাম লোৱা অৱস্থাত দেখি, পাৰ্থিৱ ভাব পাহৰি তন্ময়চিত্ত হল। সেই অৱস্থাত তেওঁৰ সৰ্ব্বাঙ্গ ৰোমাঞ্চিত হৈ উঠিল, ভাবত চিত্ত আৰ্দ্ৰ হল আৰু চকু চল্‌চলীয়া হৈ পৰিল। ভক্তশ্ৰেষ্ঠ অক্ৰূৰে ভগবান শ্ৰীকৃষ্ণৰ সেই অলৌকিক ৰূপলীলা ভক্তিবিহ্বল হৈ ধ্যানত উপভোগ

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধ্যা, ২১—২৭ শ্লোক।

কৰিলে। তাৰ পাচত, তন্ময়চিত্তেৰে গদ্‌গদ অন্তৰেৰে জনাৰ্দ্দনক স্তুতি কৰিবলৈ ধৰিলে।[১]

সেই স্নান-আহ্নিকত অক্রূৰে এই বুলি ভগবান শ্ৰীবিষ্ণুক আৰাধনা কৰিবলৈ ধৰিলে,—"হে সৰ্ব্বকাৰণ-কাৰণ আদি-অন্তশূন্য অব্যয় পৰমপুৰুষ নাৰায়ণ! আপোনাক প্ৰণাম কৰোঁ। আপোনাৰ নাভিৰপৰা যি পদ্মকোষ আকাশগামী হৈ উঠিছে, তাৰ কেশৰৰ পৰাগত কমলাসন প্ৰজাপতিয়ে স্থিত লৈ এই চৰাচৰ বিশ্ব-ব্ৰহ্মাণ্ড ৰচনা কৰে।[২] পৃথিৱী, সলিল, অনল, অনিল, আকাশ ইসৱৰ আদিকাৰণ, অহঙ্কাৰ-তত্ত্ব, মহতত্ত্ব, প্ৰকৃতি আৰু পুৰুষ, মন-চক্ষুৰাদি দশোইন্দ্ৰিয়, শব্দস্পৰ্শাদি ইন্দ্ৰিয়ৰ বিষয়, ইন্দ্ৰিয়াধিষ্ঠিত দেৱতাবৰ্গ, আৰু যথাসম্ভৱ জগতত কাৰণ অনুভূত হয়, সেই সকলোৰেই আপোনাৰ অশৰীৰী শৰীৰৰপৰা উদ্ভূত হৈছে।[৩] আত্ম-ভাবগ্ৰাহী দেহধাৰী পুৰুষে আপোনাৰ সচ্চিদানন্দ বিগ্ৰহৰ স্বৰূপ অৱধাৰণ কৰি উঠিবগৈ নোৱাৰে; তথাপি যোগীগণে আপোনাক পৰমপুৰুষ ঈশ্বৰ বুলি সাক্ষাৎসম্বন্ধে চিন্তা কৰে। কৰ্ম্মযোগীগণে ঋক্, যজুঃ আৰু সামবেদৰ বিধান অনুসৰি বিভিন্ন নামে আৰু বিচিত্ৰৰূপে অমৰবৃন্দৰ নাম লৈ কেৱল আপোনাকেই আৰাধনা কৰিছে।[৪] উপশান্তচিতীয়া জ্ঞানীগণে লৌকিক বা বৈদিক যাৱতীয় কৰ্ম্মত জলাঞ্জলি দি জ্ঞানযজ্ঞৰ দ্বাৰাই সচ্চিদানন্দস্বৰূপ আপোনাৰ বিগ্ৰহকেই ধ্যান কৰে। হে নাৰায়ণ! শিৱোক্ত আগমন অনুসাৰে অগ্ৰসৰ হৈ, বহু আচাৰ্য্যৰ বিভিন্ন পন্থা অৱলম্বন কৰি, যি সকলে আৰাধনা কৰে, সেই সকলে শিৱস্বৰূপ আপোনাকেই পূজা কৰে। হে দেৱদেৱ, সকলো দেৱতাৰ অন্তৰত অন্তৰ্য্যামীৰূপে আপুনিয়েই বিৰাজ কৰিছে; এতেকে, ভেদ-বুদ্ধিৰ বশত ভিন্‌ভাৱে যেয়ে যি দেৱতাকেই অৰ্চ্চনা কৰোক লাগে, সি সৰ্ব্বদেৱময় আপোনাকেই অৰ্চ্চনা কৰে।[৫] হে প্ৰভো! পৰ্ব্বতৰ নিজৰাৰপৰা বৈ আহি সৰু-সৰু জুৰিবোৰে বৰষুণৰ পানীৰে সৈতে পৰিপুষ্ট হৈ যেনেকৈ খৰতৰ বেগেৰে সাগৰ উদ্দেশে গতি কৰে আৰু শেহান্তৰত তাতেই আত্ম-সমৰ্পণ কৰেগৈ, তেনেকৈয়ে উপাসনাৰ যতবোৰ পন্থা আৰু প্ৰণালী নাথাকক, পৰিণামত আপোনাতেই সঙ্গত হয়; আৰু আপোনাক প্ৰাপ্ত হোৱাই সদৌ পন্থা-প্ৰণালীৰ একেটি মাথোন উদ্দেশ্য।[৬] হে দেৱ! প্ৰকৃতিৰ সত্ত্ব, ৰজঃ, তমঃ এই ত্ৰিগুণোৎপন্ন সকলো পদাৰ্থ আপোনাৰপৰাই উদ্ভূত, কিন্তু কি যে আচৰিত, আপুনি সেইবোৰৰ কোনো পদাৰ্থতে লিপ্ত নাই![৭]

"হে ভগবান্! এই সৃষ্টিত অগ্নি নামে যি পদাৰ্থ বৰ্ত্তমান সি আপোনাৰ মুখ, পৃথিৱী আপোনাৰ পাদদেশ, আদিত্য আপোনাৰ চকু, আকাশ আপোনাৰ নাভি, দিক্‌-সমূহ আপোনাৰ শ্ৰৱণেন্দ্ৰিয়, সত্যলোক আপোনাৰ মস্তক, ইন্দ্ৰাদি অমৰবৰ্গ আপোনাৰ বাহু, অৰ্ণৱসমূহ আপোনাৰ কুক্ষিদেশ, বায়ু আপোনাৰ প্ৰাণ আৰু বল, গছ-লতা ঘাঁহ-বন আদি আপোনাৰ গাৰ নোম, আকাশৰ মেঘাৱলী আপোনাৰ শিৰৰ কেশৰাশি, ৰাতি আৰু দিন আপোনাৰ শয়ন আৰু জাগৰণ মাথোন। পানীৰ মাছে যেনেকৈ যথেষ্ট পানীৰ মাজত মুকলি মনেৰে বিচৰণ কৰি ফুৰে, তেনেকৈ এই অনন্তকোটি জীৱনিচয়ৰে সৈতে এই অনন্ত ব্ৰহ্মাণ্ডই মহা হিৰণ্যগৰ্ভৰূপ মহাপুৰুষ আপোনাৰ অন্তঃকৰণত

---

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধ্যা, ৪৮ শ্লোক।

(২) নতোঽস্ম্যহং ত্বাখিলহেতুহেতুং নাৰায়ণং পুৰুষমাদ্যমব্যয়ং।
যন্নাভিজাতাদৰবিন্দকোষাদ্ ব্ৰহ্মাবিৰাসীৎ যত এষ লোকঃ॥
—শ্ৰীমদ্ভাগৱত, দশমস্কন্ধ, ৪০ আধ্যা, ১ম শ্লোক।

(৩) ভূস্তোয়মগ্নিঃ পৱনঃ খমাদির্মহানজাদির্মন ইন্দ্ৰিয়াণি।
সৰ্ব্বেন্দ্ৰিয়াৰ্থা বিবুধাশ্চ সৰ্ব্বে যে হেতৱ স্তে জগতোঽঙ্গভূতাঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪০ আধ্যা, ২য় শ্লোক।

(৪) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪০ আধ্যা, ৩—৫ শ্লোক।

(৫) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪০ আধ্যা, ৬—৯ শ্লোক।

(৬) যথাদ্ৰিপ্ৰভৱা নদ্যঃ পৰ্জ্জন্যাপুৰিতাঃ প্ৰভো।
বিশন্তি সৰ্ব্বতঃ সিন্ধুং তদ্বত্তাং গতয়োঽন্ততঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪০ আধ্যা ১০ম শ্লোক।

(৭) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪০ আধ্যা, ১১—১২ শ্লোক।

অৱলীলাক্ৰমে বিচৰণ কৰিব লাগিছে।[১] হে দীনবন্ধু, যিজনে প্ৰলয়পয়োধিত মীনৰূপ ধাৰণ কৰি বিচৰণ কৰিছিল, আৰু যিজনে হয়গ্ৰীৱ মূৰ্ত্তি ধাৰণ কৰি মধুকৈটভ নামে দৈত্যদ্বয়ৰ নিধন সাধন কৰিছিল, সেই আপোনাক প্ৰণাম কৰোঁ। হে কৃষ্ণ! যি বৰাহৰূপ ধাৰণ কৰি ধৰাৰ উদ্ধাৰ সাধন কৰিছিল, যি নৰসিংহৰূপে হিৰণ্যকশিপুৰ অমৰত্ব হৰণ কৰিছিল, যি বামনৰূপ ধাৰণ কৰি ত্ৰিভুবন জুৰি বলিছলন নাম গ্ৰহণ কৰিছিল, সেই আপোনাক প্ৰণাম কৰোঁ।[২] হে প্ৰভু, আপুনিয়েই ভৃগুপতি পৰশুৰামৰূপ কৰি ক্ষত্ৰিয়কুলৰ মূল উছন্ নিয়াইছিল; আপুনিয়েই ৰঘুশ্ৰেষ্ঠ ৰামৰূপ ধাৰণ কৰি দুষ্ট দশানন ৰাৱণক নিধন কৰি পৃথিৱীক শাঁত কৰিছিল; আপুনিয়েই সাক্ষাৎ বাসুদেৱ আৰু সঙ্কৰ্ষণৰূপে আবিৰ্ভূত হৈ কংসাৰি হৈছেহি, আপোনাক প্ৰণাম কৰোঁ।[৩]

"হে ভগবান! আপোনাৰ মায়াত মুগ্ধ হৈ এই সংসাৰত লোকসমূহে 'আমি' 'আমাৰ' কৰি ভ্ৰান্তৰ দৰে বিচৰণ কৰিছে, মই অধমেও এই সংসাৰৰ অলীক দেহ, ঘৰ-দুৱাৰ, পুত্ৰ-কলত্ৰ, আত্মীয়-স্বজন, বন্ধু-বান্ধৱসমূহক সত্য আৰু নিত্য জ্ঞান কৰি মহা মূৰ্খৰ দৰে বিচৰণ কৰিছোঁ। অহ, এই ঘোৰ সংসাৰত মজি মই অনিত্যক নিত্য জ্ঞান, অনাত্ম-বিষয়ত আত্মবুদ্ধি, দুখময় পদাৰ্থক সুখময় জ্ঞান কৰি স্বৰূপ-সৰোবৰ এৰি মায়া-মৰীচিকাত বিচৰণ কৰিছোঁ। এতেকে, হে পদ্মনাভ! এই শৰণাগতক উদ্ধাৰ কৰা।[৪] সৰ্ব্বপ্ৰকাৰ হেতুভূত পৰমবিজ্ঞানেই আপোনাৰ বিগ্ৰহ, আপুনিয়েই পুৰুষশ্ৰেষ্ঠ আৰু প্ৰকৃতিস্বৰূপ, সৰ্ব্বশক্তিসম্পন্ন পৰমব্ৰহ্ম বুলি যিজনক কীৰ্ত্তন কৰোঁ তেওঁৱেই আপুনি, এতেকে, হে কৃষ্ণ! আপোনাক প্ৰণাম কৰোঁ।[৫] আপুনি সৰ্ব্বভূতৰ নিবাসস্থল বাসুদেৱ, আপোনাক প্ৰণাম কৰোঁ। হে প্ৰভু হৃষীকেশ! এই শৰণাগতক ৰক্ষা কৰক, আপোনাক প্ৰণাম কৰোঁ।"[৬]

কৃষ্ণস্তুৱ সমাপনৰ পাচত, অক্ৰূৰে কালিন্দীৰ গৰ্ভৰপৰা পাৰলৈ উঠি মাধ্যাহ্নিক নিত্যক্ৰিয়াদি অনতিপলমে সমাপন কৰি, আপোনাৰ ভাব-গতি আৰু কাৰ্য্যাৱলীত আপুনি বিস্ময় মানি বিমুগ্ধ বিমোৰ হৈ অতি ভাবগহীনভাৱে গৈ ৰথৰ কাষ চাপিলেগৈ। তাৰ পাচত, তেওঁ নীৰৱে ৰথত চৰি, নীৰৱে একান্তপ্ৰাণে কৃষ্ণপদ বন্দি, অতি ভক্তিভাৱে ৰাম কৃষ্ণৰ পাচতে তেওঁৰ নিজৰ আসনত লাহেকৈ বহি ললেগৈ। বহিলগৈ, কিন্তু তেওঁৰ মুখত মাত নাই, তেওঁ ভাবত উদাস। সেই ভাৱেই সেই ছেগতে কৃষ্ণপ্ৰাণ অক্ৰূৰে মনে মনে পাপিষ্ঠ কংসৰ কল্পিত কৃষ্ণবধ ষড়যন্ত্ৰৰ বিষয়ে সুমৰি সুমৰি ভাবিবলৈ ধৰিলে। ভাবি ভাবি তেওঁ একোবাৰ হতাশত শেতা পৰি যায়, আৰু একোবাৰ আনন্দত উলাহিত হৈ উঠে। ভগবান শ্ৰীকৃষ্ণৰ অসীম-অদ্ভুত ক্ষমতাত যদিও ভগৱদ্ভক্ত অক্ৰূৰৰ অটল বিশ্বাস, তথাপি কংসৰ ভয়াবহ ষড়যন্ত্ৰৰ কথালৈ মনত পৰিলে তেওঁৰ মানৱ প্ৰাণ বিচলিত হৈ পৰে, তেতিয়া শ্ৰীকৃষ্ণত সৰ্ব্বশক্তি-সম্পন্ন ভগবদ্ভাব তেওঁ ক্ষন্তেকলৈ পাহৰি যায়। কংসই ধনুৰ্মখ উপলক্ষ্য কৰি, ৰাম-কৃষ্ণক মথুৰালৈ নিয়াই লৈ, গজ, মুষ্টিক, চাণুৰ মল্লাদিৰ দ্বাৰাই বধ কৰাবলৈ যি ষড়যন্ত্ৰ পাতিছিল, তালৈ মনত পৰিলে সুকুমাৰ ৰাম-কৃষ্ণ ভতিজা-দ্বয়ৰ নিমিত্তে তেওঁৰ প্ৰাণ কান্দি উঠে, সেই মুহূৰ্ত্তত ৰাম-কৃষ্ণ যে তেওঁৰ অগ্ৰজ বসুদেৱৰ পুত্ৰ, তাত বাজে আন ভাব

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪০ আধ্যা, ১৩—১৫ শ্লোক।

(২) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪০ আধ্যা, ১৬—১৮ শ্লোক।

(৩) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪০ আধ্যা, ১৯—২০ শ্লোক।

(৪) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪০ আধ্যা, ২১—২৬ শ্লোক।

(৫) নমো বিজ্ঞানমাত্ৰায় সৰ্ব্বপ্ৰত্যয়হেতবে।
পুৰুষেশপ্ৰধানায় ব্ৰহ্মণেঽনন্তশক্তয়ে ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪০ আধ্যা, ২৭ শ্লোক।

(৬) নমস্তে বাসুদেৱায় সৰ্ব্বভূতক্ষয়ায় চ।
হৃষীকেশ নমস্তুভ্যং প্ৰপন্নং পাহি মাং প্ৰভো ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪০ আধ্যা, ২৮ শ্লোক।

তেওঁৰ ধাৰণাই ঢুকি নোপোৱা হয়।[১] অক্ৰূৰে সেইভাৱে ভালেখিনি পৰলৈকে নীৰৱে নিটাল মাৰি থকালৈ মন কৰি, আৰু তেওঁৰ ভাব-গতিৰ অপূৰ্ব্ব পৰিবৰ্ত্তন দেখি শ্ৰীকৃষ্ণই এটি মিচিকিয়া হাঁহি মাৰি অলপ বিস্ময় মানি দেখুৱাই তেওঁক এই বুলি সম্বোধন কৰিলে,—“খুড়াদেৱ! আপুনি নিটাল মাৰি আছে দেখোন, কিয়? আপোনাৰ ভাব-গতিলৈ চাই মোৰ এনে হে বোধ হৈছে, যেন আপুনি ধৰাতলত, কিম্বা আকাশত, নাইবা পানীৰ তলত অদ্ভুত ভাবৰ কিবা অপৰূপ দেখা পাইছে হব পায়?”[২] শ্ৰীকৃষ্ণৰ করুণ স্বৰৰ সেই প্ৰশ্ন শুনামাত্ৰকে ভগবদ্ভাবত তন্ময় কৃষ্ণ-প্ৰাণ অক্ৰূৰে তেতিক্ষণে এই বুলি সমিচাৰ দিলে, “হে বিশ্বাত্মন! আকাশত, বা পাতালত, নাইবা পানীৰ তলত যতমানে অদ্ভুত ভাবৰ অপৰূপ ৰূপ থাকিব পাৰে, সেই সকলোবোৰ আপোনাতে বিৰাজমান, এতেকে আপোনাৰ দৰ্শন লাভ কৰি উঠি মোৰ আৰু কিবা দেখিবলৈ বাকী থাকিব পাৰে নে?”[৩] ভক্ত অক্ৰূৰে এই সৰল সমিচাৰত শ্ৰীকৃষ্ণ অপ্ৰস্তুত হোৱাৰ দৰে হৈ থমক্ খাই ৰল।[৪] ইতি-অৱসৰতে অক্ৰূৰে সাউৎকৰে ৰথৰপৰা নামি গৈ আঁতৰি আচুতীয়াকৈ এজুপি আঁহত গছপুলিৰ তলত বহি আকৌ ধ্যানত মগ্ন হলগৈ। অক্ৰূৰৰ ভগবদ্ভাবলৈ আৰু শ্ৰীকৃষ্ণৰ অপ্ৰস্তুত লক্ষণলৈ লক্ষ্য কৰি, প্ৰশান্তমূৰ্ত্তি মতিমান্ বলৰামো কিঞ্চিৎমান বিচলিত হৈ পৰিছিল, কিন্তু পিচমুহূৰ্ত্ততে প্ৰকৃতিস্থ হৈ উভয় পক্ষৰ ভাব-গতি পাহৰাবলৈ অৱস্থা চাই ব্যৱস্থা কৰাৰ অৰ্থে, তেওঁ এই বুলি গহীনাই মাত লগালে, “আকৌ আগবঢ়া যাওক, সোৱা দেখা গৈছে, পিচত অহা যাত্ৰীদল পায়হি হে লাগে।” বৈদ্যবুদ্ধিমন্ত বলদেৱৰ সেই একেপালি ঔষধেই দুইকো সমানে গুণ দিলে,—কৃষ্ণ আৰু অক্ৰূৰ দুয়ো ততালিকে প্ৰকৃতিস্থ হৈ, সিবিলাকৰ ৰথ পুনৰপি আগে আগে চলাই দিবলৈ দুয়ো একে আষাৰে সাৰথিক আজ্ঞা দিলে।

তৃতীয় ছেদ

অক্ৰূৰ-চৰিত্ৰ

তন্ময়চিত্ত ভগবদ্ভক্ত অক্ৰূৰৰ আন্তৰিক ভক্তিভাব বাহ্যিক মুখ-দাপোণত ফট্‌ফটীয়াকৈ প্ৰতিবিম্বিত হৈছিল। তেওঁ নিজে কব নোৱাৰে, কিন্তু অন্যে তেওঁৰ মুখাকৃতি দেখি অন্তৰৰ ভাব বুজিব পৰা হৈছিল। তাৰ লগতে তেওঁৰ বিস্ময়জনক ভাব-গতিয়ে তেওঁৰ প্ৰতি অন্যৰ মনোযোগ অযাচিতে আকৰ্ষণ কৰিছিল। দেখোঁতা কিন্তু সেই সময়ত ৰাম-কৃষ্ণত বাজে সেই ঠাইত আন কোনো নাছিল। অক্ৰূৰে কালিন্দীত নামি পানীত বুৰ্ মাৰি অলপ-পৰ বৈ আকৌ ভমকৰে মূৰ উলিযাই চকমককৈ পাৰত ৰাম-কৃষ্ণলৈ চাই পঠিযাই বিচূৰ্ত্তি খাই আকৌ বুৰ্ মাৰি নেদেখা হয়, ইফালে ৰাম-কৃষ্ণই তেওঁৰ ভগৱদ্ভাবত অনুদিত হৈ মিচিকি-মিচিকি হাঁহে। ইফালে ইবিলাকে চায় আৰু হাঁহে, সিফালে অক্ৰূৰে বিস্ময় মানি ঘনে-ঘনে মূৰ উলিয়ায়, ঘনে-ঘনে বুৰ্ দি লুকায়।

সেই লুকাভুমুকা চাই চাই শেহান্তৰত প্ৰশান্ত-মূৰ্ত্তি বলৰাম বিচলিত হৈ পৰিল। তেওঁ মনৰ কৌতুহল মনে মনে মাৰ নিয়াব নোৱাৰি, এবাৰ এই বুলি আচৰিতভাৱে কৈ উঠিল, “এওঁৰ আজি হৈছে কি? কিয় এওঁ এইদৰে আপোন-পাহৰা হৈ বিস্ময় মানি পানীত বুৰ্ দি দি হাইৰাণ হৈছে?” আৰু, থাকি থাকি এওঁ কিয় আমালৈ চকু ধৰি

---

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৩৯ আধ্যাৰ সামৰণৰ আভাস।

(২) ভগবান উবাচ:
তমপৃচ্ছদ্ধৃষীকেশঃ কিন্তে দৃষ্টমিহাদ্ভুতং।
ভূমৌ বিয়তি তোয়ে বা তথা ত্বাং লক্ষয়ামহে॥

(৩) অক্ৰূৰ উবাচ:
অদ্ভুতানীহ যাবন্তি ভূমৌ বিয়তি বা জলে।
ত্বয়ি বিশ্বাত্মকে তানি কিং মেঽদৃষ্টং বিপশ্যতঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪১ আধ্যা, ১—২ শ্লোক।

(৪) শ্ৰীকৃষ্ণৰ সাক্ষাতে তেওঁত ঈশ্বৰত্ব আৰোপ কৰা এয়ে প্ৰথম। ইতঃপূৰ্ব্বলৈকে এই ভাব এই ভাৱে কেৱে ব্যক্ত কৰিব পৰা নাছিল।

ধৰি চাইছে?" অনুজ শ্ৰীকৃষ্ণই অযাচিতে এই বুলি উত্তৰ কাটিলে, "দাদা। ভগৱদ্ভক্ত অক্ৰূৰ নিস্পৃহ ভক্তিভাবত তন্ময়! তেওঁ কালিন্দীৰ গৰ্ভত বুৰ্ দি আহ্নিক-ধ্যানত কি জানো কি অদ্ভুত-আচৰিত-অলৌকিক কিবা দেখা পাইছে হব পায়। দেহি! কি যে সৰল প্ৰাণ। কেনে যে নিৰ্ম্মল চৰিত্ৰ!" বলৰামে ততালিলে কৃষ্ণকথাৰ উত্তৰ কাটি আকৌ এই বুলি প্ৰশ্ন কৰিলে, "কৃষ্ণ। মোৰো জানিবলৈ আৰু বুজিবলৈ বাকী নাই যে, আমাৰ খুড়াদেউ অক্ৰূৰ এজন অতি সৰলচিতীয়া ভগবদ্ভক্ত পুৰুষ, কিন্তু সেই বাবেই তেওঁৰ চৰিত্ৰ নিৰ্ম্মল বুলি কেনেকৈ কোৱা যায়?—আন কিবা দোষাদোষ থাকিলেও আমি নাজানোঁ, কিন্তু তেওঁ যে আমাৰ প্ৰাণবৈৰী কংস ৰজাৰ কাষত কপটাচৰণ কৰি মথুৰাৰপৰা বৃন্দাবনলৈ আহি আমাক লৈ আহিছে, এই পাপকাৰ্য্যৰ চেকাই তেওঁৰ চৰিত্ৰক কলুষিত কৰা নাই জানো?"

অগ্ৰজৰ এই জটিল প্ৰশ্নৰ উত্তৰ দিবলৈ মতিমান্ শ্ৰীকৃষ্ণয়ো ক্ষন্তেক গুণিব লগাত পৰিছিল। তাৰ পাচত, তেওঁৰ স্বভাৱসুলভ উপস্থিত বুদ্ধি খটাই অগ্ৰজৰ প্ৰশ্নৰ উত্তৰত তেওঁ এই বুলি কবলৈ ধৰিলে,—"দাদা। কৰ্ত্তব্য-পৰায়ণ ভগৱদ্ভক্ত অক্ৰূৰ কপটাচাৰী নহয়, তেওঁ কংস ৰজাক ছলিবলৈ বুলি কোনো ফাঁকি প্ৰবঞ্চনাও কৰা নাই, মাথোন তেওঁৰ অন্তৰৰ ভাব কংসৰাজৰ আগত উবুৰিয়াই কোৱা নাছিল, আৰু কবলৈ তেওঁ ন্যায়তঃ বাধ্যও নহৈছিল। বিশেষতঃ ধৰ্ম্মপ্ৰাণ অক্ৰূৰ এতিয়া এক অপাৰ মহাসমস্যাত। এপাৰে ৰাজাজ্ঞা পালন কৰ্ত্তব্য, আনপাৰে বংশ-মমতা আৰু ৰাইজৰ হিতসাধন ধৰ্ম্ম ৰক্ষা কৰা কৰ্ত্তব্য। ইপাৰলৈ ঢাল খালেও নাও বুৰে, সিপাৰলৈ ঢাল খালেও বুৰে। অৰ্থাৎ, কংস ৰজাৰ আজ্ঞা পালন নকৰা হলেও তেওঁৰ বিপদ, ৰাইজৰ হিতসাধন ধৰ্ম্ম ৰক্ষা নকৰিলেও তেওঁৰ আপদ। গতিকে, তেওঁ কোনো পাৰলৈ ধাউতিৰ ভৰ নিদি মধ্যস্থভাৱে নাওৰ গৰ্ভৰ মধ্য-স্থলত স্থিৰভাৱে বৈ উপস্থিত অপায়-সাগৰ পাৰ হবলৈ পাৰি দিছে। বিশেষতঃ, কংস ৰজাই নিজৰ গুপুত পাপ-বাসনাৰ বিষয়ে অক্ৰূৰক অলপো সঙ্কেত্ দিয়া নাছিল, বৰঞ্চ তেওঁক কপটাচৰণৰ উদ্গনি দিহে আমাক বৃন্দাবনৰপৰা মথুৰালৈ নিবলৈ পঠিয়াইছে। অক্ৰূৰ খুড়াই কোৱালৈ মন নকৰিলা নে যে, আমি কংস ৰজাৰ কুটুম্ব কাৰণে হে হেনো তেওঁৰ ধনুৰ্যজ্ঞত দেখা পাবৰ বাপ্পাৰে[১] এই যাত্ৰাত আমাক মথুৰালৈ নিয়াৰ উদ্দেশ্যে অক্ৰূৰক কটকী পঠিয়াইছে। অথচ, আনহাতে, তীক্ষ্ণবুদ্ধিৰ ৰাজনীতিজ্ঞ পুৰুষ অক্ৰূৰে কংসৰ পাপ-অভিসন্ধি আৰু গুপুত ষড়যন্ত্ৰৰ সম্ভেদ্ আগধৰি পাই থৈছিল। এতিয়া, গমি চোৱাঁচোন এনে সমস্যাত তেওঁনো কি কৰা উচিত আৰু কি ভাৱে চলা বিধেয়। মোৰ মনেৰে, অসামান্য বুদ্ধিমান্ যাদৱ কুলতিলক অক্ৰূৰ কাৰণে হে এনে অপাৰ সমস্যাৰ পাৰ পাওঁ-পাওঁ হৈছেহি, সামান্য বুদ্ধিৰ ইতৰ লোক হোৱা হলে, তেওঁৰ কেতিয়াবাই পতন ঘটিলহেঁতেন। আৰু এটা কথালৈ মন কৰিবা, কংস ৰজাই তেওঁৰ গুপুত উদ্দেশ্যৰ সম্ভেদ্ আমাক নিদিবলৈ বুলি অক্ৰূৰ কটকীক একো কোৱা যে নাযেই, তাৰ সঙ্কেতো দিয়া নাই, এতেকে, কংসৰ ষড়যন্ত্ৰৰ বিষয়ে আমাক উপস্থিত ছেগত ভাঙ্গি কোৱাত অক্ৰূৰৰ কোনো দোষ হব নোৱাৰে। মোৰ বোধেৰে, তেওঁ সেই পাপ-ষড়যন্ত্ৰৰ সম্ভেদ পাযো আমাক ভাঙ্গি নোকোৱা হলে হে তেওঁকো তাৰ পাপে চুলেহেঁতেন, এতিয়া তেওঁক তাৰ প্ৰত্যবায়ে নাপায় গৈ। গতিকে তেওঁৰ নিৰ্ম্মল চৰিত্ৰ নিৰ্ম্মল হৈয়ে ৰৈছে, তুমি তেওঁৰ যি আচৰণ কপট বুলি ভাবিছা, সি প্ৰকৃততে কপট নহয়, বৰঞ্চ পাপপ্ৰক্ষালন হে। বাস্তৱতে, দাদা। এনেজন চৰিত্ৰবান্ ধৰ্ম্মবীৰে আমাৰ বংশত জন্ম লোৱাত, আমি সদৌ যদুকুল ধন্য আৰু গৌৰৱান্বিত হৈছোঁহক।" অনুজ কৃষ্ণৰ জ্ঞানগৰ্ভ কথা শুনি শুনি অগ্ৰজ বলৰামে গুণি থাকোঁতেই তন্ময়চিত্ত অক্ৰূৰে আহি লাহেকৈ আকৌ ৰথত চৰিলেহি, ৰাম-কৃষ্ণই সিমানতে নিমাত হৈ নিটাল মাৰিলে।

(১) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৮২ আধ্যা

চতুৰ্থ চ্ছেদ

অক্ৰুৰ-বিদায়

ইতিক্ষণত, পিচ পৰি আহি থকা নন্দৰাজ প্ৰমুখ্যে বৃন্দাবনৰ যাত্ৰীদলেও আহি অক্ৰুৰৰ ৰথৰ কাষ চাপিলেহি। সিমানতে সিবিলাকৰ গতিৰোধ নকৰিবৰ উদ্দেশ্যে ততালিকে ইফালৰপৰা ৰাম-কৃষ্ণ সমন্বিতে গান্ধিনীনন্দনৰ[১] ৰথো আগে আগে চলাই দিয়া হল। তাৰ পাচত, আৰু অলপ বাট গৈয়েই সম্পূৰ্ণ যাত্ৰীদল যমুনাৰ ঘাইঘাট, অৰ্থাৎ মথুৰাঘাটত উপনীত হলগৈ। সিমানতে বেলি মাৰ গল। গতিকে নন্দৰাজৰ আদেশ অনুসৰি, তাৰপৰা অলপ উজাই যমুনাৰ সিপাৰতে এখনি দিব্য উপবনত সেই ৰাতিটো বঞ্চিবৰ অৰ্থে যাত্ৰীদলে যো-জা কৰিবলৈ ধৰিলে। ইতি-অৱসৰতে, ৰথৰপৰা নামি, ভুখোজমান আগবাঢ়ি গৈ অক্ৰুৰৰ হাতত ধৰি অতি বিনীতভাৱে হাঁহি হাঁহি শ্ৰীকৃষ্ণই তেওঁত এই বুলি আপোন অভিপ্ৰায় ব্যক্ত কৰিলে,—"হেৰি, খুড়াদেউ। আপুনি ইয়াৰেপৰা যমুনা পাৰ হৈ এই ৰথতে চৰি আগধৰি পুৰীত প্ৰৱেশ কৰি কংসৰাজক আমাসাৰ আগমনৰ বাৰ্ত্তা দি নিজঘৰলৈ যাওকগৈ, আমি ইয়াতে অলপ-পৰ জিৰাই-শঁতাই, আপুনি দি থোৱা দিহা মতে, যথাসময়ত পুৰী দৰ্শনাৰ্থে মথুৰা নগৰীত প্ৰৱেশ কৰিম[২]।" শ্ৰীকৃষ্ণৰ মুখে এই সিদ্ধান্ত শুনি তন্ময়চিতীযা অক্ৰূৰ পুনঃ প্ৰকৃতিস্থ হল, তেওঁ অতিশয় কাতৰভাৱে ৰাম-কৃষ্ণত এইবুলি নিবেদন কৰিলে,—"হে প্ৰভো। আপোনালোক দুজনক এৰি অকলে মই কেতিয়াও পুৰীত প্ৰৱেশ নকৰোঁ। মই আপোনাসকলৰ ভক্ত সেৱক; মোক ত্যাগ নকৰিব। হে ভগবান। গোপালগণ, সুহৃদবৰ্গ আৰু বলদেৱৰে সৈতে লগ লাগি আমি সকলোটি একেলগে নগৰ সোমাওঁহঁক। আহক, মোৰ লগতে গৈ মোৰ গৃহত পদধূলি দি চৰিতাৰ্থ কৰোকহি; যি পদৰজ প্ৰাপ্তিৰ দ্বাৰাই আজি পিতৃলোক পৰিতৃপ্ত হব, যি চৰণ প্ৰক্ষালন কৰি দানৱৰাজ বলিয়ে[৩] জগতত অনুপম যশস্যা, অতুল ঐশ্বৰ্য্য আৰু ভক্তলভ্য গতি লাভ কৰি কৃতাৰ্থ হৈছিল, সেই চৰণৰ ধূলি দি এই নিঃকিন ভক্তৰ গৃহ পৱিত্ৰ কৰোক হি"[৪]। তাৰ পাচত, বিস্তৰ বুজনিৰে সৈতে ভগবান শ্ৰীকৃষ্ণই ভক্ত অক্ৰূৰক অলপ শান্ত কৰি এই আশ্বাসেৰে বিদায় দিলে,—"হেৰি, খুড়াদেউ! আপুনি আগ বাঢ়ক, আমিও আপোনাৰ পাচতে, যমুনা পাৰ হৈ মথুৰা পুৰীত প্ৰৱেশ কৰিমহঁক। আৰু, যদুবংশীয় জ্ঞাতি-বৰ্গৰ নিগ্ৰহকাৰী কংসক বধ কৰি উঠি, মই অগ্ৰজৰে সৈতে আপোনাৰ গৃহলৈ গৈ আপোনাৰ আৰু আত্মীয়গণৰ প্ৰীতিসাধন কৰিমগৈ[৫]।" এই আশ্বাসত অলপ তুষ্ট হৈ অক্ৰূৰে অগত্যা শ্ৰীকৃষ্ণৰ ওচৰত বিদায় লৈ, বিষাদচিত্তেৰে মথুৰাপুৰীত প্ৰৱেশ কৰিলে। তাৰ পাচত, ৰাম-কৃষ্ণ কন্দৰ্পক এফলীয়া হৈ অক্ৰূৰৰ দিহামতে ৰাতি গোপনে মথুৰা প্ৰৱেশ কৰি পুৰী পৰিদৰ্শন কৰা বিষয়ক আলোচনাত বহিল, ইফালে নন্দৰাজৰ দিহামতে প্ৰবাসী গোপবৰ্গে যমুনাপাৰৰ উপবনত প্ৰৱস্থা কাপোৰৰ ছালিঘৰ আদি টঙ্গোৱা কাৰ্য্যত তৎপৰ হল। মথুৰাপুৰীৰ প্ৰৱেশ দুৱাৰ-বোৰ বৰ ওখ আৰু স্ফটিকময, চাৰিওফালে মেৰাই চপ-

---

(১) অক্ৰুৰৰ মাতৃৰ নাম গান্ধিনী। যেনে,—
ইত্যুক্তাশ্চোদয়ামাস সন্দনং গান্ধিনীসুতঃ।
মথুৰামনয়াজ্ঞানং কৃষ্ণঞ্চৈব দিনাত্যয়ে॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ১ম আধ্যা, ৪ শ্লোক।

(২) তান্সমেতাহ ভগবানক্ৰূৰং জগদীশ্বৰঃ
গৃহীত্বা পাণিনা পাণিং প্ৰশ্ৰিতং প্ৰহসন্নিব॥
ভবান্ প্ৰবিশতামগ্ৰে সহযানঃ পুৰীং গৃহং।
বয়ন্ত্বিহাবমুচ্যাৰ্থ তাত দ্ৰক্ষ্যামহে পুৰীং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪১ আধ্যা, ৭—৮ শ্লোক।

(৩) এওঁ শোণিতপুৰৰ অধিপতি বাণ-ৰজাৰ পিতৃপুৰুষ।

(৪) অবনিজ্যাঙ্ঘ্ৰি যুগলমাসীৎ শ্লোক্যো বলিৰ্মহান্।
ঐশ্বৰ্য্যমতুলং লেভে গতিঞ্চৈকান্তিনান্তু যা॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪১ আধ্যা, ১১ শ্লোক।

(৫) আয়াস্যে ভবতো গেহমহমাৰ্যসমন্বিতঃ।
যদুচক্ৰদ্ৰুহং হত্বা বিতৰিষ্যে সুহৃৎপ্ৰিয়ং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪১ আধ্যা, ১৪ শ্লোক—

চপীয়া পানীভৰা গড়খাৱৈৰ দ্বাৰাই পৰিবেষ্টিত; গতিকে তাত প্ৰৱেশ কৰা শত্ৰুকুলৰ পক্ষে অতি দুঃসাধ্য[১]। সেই কাৰণে, সেই প্ৰৱেশ কেনেকৈ সুগম কৰিব, ৰাম-কৃষ্ণই তাৰ আলচ পাতিবলৈ ধৰিলে। দুয়ো নীৰৱে ভালেখিনি-পৰ আলচ পতাৰ ফলত এই স্থিৰ হল যে, সম্প্ৰতি সিবিলাক দুয়ো জনদিয়েক গোপ-গৰখীয়া লগত লৈ, অচিনাকিভাৱে চোৰাংচোৱাকৈ সেই ৰাতিয়েই মথুৰাপুৰীত প্ৰৱেশ কৰি আগধৰি কংসৰ ষড়যন্ত্ৰৰ আয়োজন পৰিদৰ্শন কৰি লব।

পঞ্চম ছেদ

যমুনা-সিপাৰে ৰাম-কৃষ্ণ

আবেলিবেলিকা অগত্যা যমুনা পাৰ হৈ আহি অক্ৰূৰ ইপাৰে পুৰীৰ ভিতৰ সোমালহি, ৰাম-কৃষ্ণ যমুনাৰ সিপাৰে সেই দিব্য উপবনতে ৰল। ইপাৰে শাৰী-শাৰী যমুনাপৰীয়া মথুৰাবাসীয়ে ৰাম-কৃষ্ণদৰ্শনৰ অতৃপ্ত সুখ অনুভৱ কৰিবলৈ ধৰিলে; সিপাৰৰ উপবন-প্ৰবাসী ব্ৰজ বাসীয়ে কিন্তু ইপাৰৰ নগৰবাসী দৰ্শকবৃন্দলৈ সিমান মন কৰা নাই, মাথোন সেই সময়ত সিবিলাকৰ প্ৰবাস যাপনৰ সুচলাৰ্থে সকলোটি ভাগে-ভাগে ভিন্-ভিন্ কাৰ্য্যত তৎপৰ আছিল। তাৰ মাজত ৰাম-কৃষ্ণ আকাশৰ জোন-বেলি যেন হৈ জিলিকিছিল! সেই ছেগতে সেই চুবুৰীৰ মথুৰা-বাসীয়ে ৰামকৃষ্ণ দৰ্শন-সুখ প্ৰাণভৰি উপভোগ কৰি, সেই জোনাক ৰাতি এভঁৰমান যোৱাত ধীৰে ধীৰে ঘৰমুৰ হবলৈ ধৰিলে।

ইয়ানতে নন্দনন্দন বাসুদেৱৰ সুমধুৰ আদ্যলীলা অন্ত পৰে এতিয়া, এইখিনিতে যশোদাতনয় দৈৱকীনন্দনৰ বাল্য-লীলাৰ যৱনিকাপাত হয় এতিয়া, আজিৰ দিনতে গোপীনাথ ৰাসেশ্বৰে বৃন্দাবনলীলাৰ সামৰণি মাৰে এতিয়া! যমুনাৰ সিপাৰত আছেমানে ব্ৰজনাথ, ইপাৰ হৈয়েই যদুনাথ হয়হি এতিয়া, মথুৰা নগৰীৰ বাজ হৈ আছেমানে ব্ৰজযাত্ৰী পুৰীপ্ৰৱেশ কৰামাত্ৰে ৰাম-কৃষ্ণ মথুৰানিবাসী হয়হি এতিয়া বৃন্দাবনৰ ৰাম-কৃষ্ণ আজি মথুৰাৰ হৰে-কৃষ্ণ হয়হি যে লাগে,—মাজতে দুদণ্ড মাথোন আছে ব্ৰজনাথ শ্ৰীকৃষ্ণই ব্ৰজবাসীক আদ্যলীলা দেখুৱাওঁতে সিংহশিশু সদৃশে আপোনাৰ বিক্ৰমবোধত আপুনি মোহ গৈ কেতিয়াবা হাঁহিছিল কান্দিছিল[২], যদুনাথ বাসুদেৱে মথুৰাবাসীক মধ্যলীলা দেখুৱাওঁতে প্ৰমত্তসিংহ সদৃশে শত্ৰুমৰ্দ্দনত তৰ্জ্জন-গৰ্জ্জন লগায়হি হে লাগে,—মাজতে দুদিন মাথোন আছে।

(১) শ্ৰীমদ্ভাগৱত, ৪১ অধ্যা, ১৭ শ্লোক।
(২) কৌমাৰীং দৰ্শয়ংশ্চেষ্টাং প্ৰেক্ষণীয়াং ব্ৰজৌকসাম্।
ৰুদন্নিব হসন্মুগ্ধবালসিংহাবলোকনঃ॥

—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ২য় অধ্যা, ২৮শ শ্লোক।

আদ্যলীলা খণ্ড সমাপ্ত

উৎসর্গ

ভগবান্ শ্ৰীকৃষ্ণৰ

আদ্যলীলাখ্যান

যাৰ শিৰত

মোৰ

দীক্ষাগুৰুদেৱ

আউনী আটীয় সত্ৰাধিকাৰ

শ্ৰীল শ্ৰীশ্ৰীযুক্ত হেমচন্দ্ৰ দেৱ গোস্বামী

প্ৰভু-ঈশ্বৰে

নিৰ্ম্মালি

দান কৰিছিল,

সেই

মোৰ অষ্টম সন্তান—একেটি পুত্ৰ

শ্ৰীমান্ হৰকৃষ্ণনাথ গোহাঞিবৰুৱা

'দেউতাকণ'ৰ কণ্ঠত

ইধাৰি

পিতৃৰ অপত্যস্নেহসূতাৰে গঁথা

আশীষ্ মালা

গ্ৰন্থকাৰ

মধ্যলীলাখণ্ডৰ পাতনি

"য'তে কৃষ্ণ, ত'তে ধৰ্ম্ম ; য'তে ধৰ্ম্ম, ত'তে জয়"

'শ্ৰীকৃষ্ণ-লীলা' মৰ্ত্ত্যলোকত আদৰ্শ মানৱ-চৰিত্ৰ। সেই আদৰ্শ চৰিত্ৰবৃক্ষৰ আদ্যলীলাছোৱাত ঠুপতীয়াৰ চিন্, মধ্যলীলাছোৱাত তাৰ গা-গছৰ গঠন ; অন্ত্যলীলাছোৱাত ঠাল-ঠেঙুলি আৰু কৰ্ম্মফলৰ নিদৰ্শন। এতেকে, মানৱ-চৰিত্ৰৰ মাজছোৱা হে যে প্ৰকৃত সাংসাৰিক কৰ্ম্মজীৱন, কৃষ্ণ-চৰিত্ৰৰ মধ্যলীলাছোৱাত সেই কথা সপ্ৰমাণিত হৈছে। পৃথিৱীত জন্ম ধৰি যি নিৰ্ম্মল সুখ-শান্তি উপভোগ কৰা যায়, শ্ৰীকৃষ্ণচৰিত্ৰৰ 'আদ্যলীলা'ত তাৰ অমায়িক আভাস পোৱা গৈছে ; মায়া সংসাৰত প্ৰৱেশ কৰি যি অপৰিমেয় অপায়-অশান্তিৰ তাপ সহিবলগীয়া হয়, শ্ৰীকৃষ্ণ-চৰিত্ৰৰ 'মধ্যলীলা'-ছোৱাত সি প্ৰতিপলে প্ৰতিদণ্ডে কাৰ্য্যত ফলিয়াইছে ; এই পৃথিৱীতেই যে মানবাত্মাই কৰ্ম্মফল ভোগ কৰে, শ্ৰীকৃষ্ণ-চৰিত্ৰৰ 'অন্ত্যলীলা'ত তাৰ পূৰ্ণবিকাশ দেখা গৈছে। একে-আষাৰে কবলৈ গলে, মানৱাত্মাৰ বাল্য, যৌৱন আৰু বাৰ্দ্ধক্য জীৱন কৃষ্ণাত্মাৰ আদ্য, মধ্য আৰু অন্ত্য লীলাত পৰিপূৰ্ণকৈ প্ৰতিভাত হৈছে। আনহাতে, পৰমাত্মা পৰমেশ্বৰত বাজে পূৰ্ণতা আন একোতে পৰিলক্ষিত নহয়, গতিকে, কৃষ্ণ-চৰিত্ৰত সেই পূৰ্ণতাৰ আভাস ধৰা পৰাৰ কাৰণে, পৰমাত্মাৰ অৱতাৰ স্বৰূপ ভগবান্ শ্ৰীকৃষ্ণত ঈশ্বৰত্ব আৰোপ কৰা যায়। পিচে, শ্ৰীকৃষ্ণ স্বয়ং সেই আখ্যাৰ ঘোৰ বিৰোধী। আন কি, ভাবে-ভঙ্গীয়ে কিম্বা আকাৰে-প্ৰকাৰে তেওঁত ঈশ্বৰত্ব আৰোপ কৰাৰ আভাস পালেও বিনয়ী কৃষ্ণদেৱ যে বিতুষ্ট হৈছিল, তাৰ একাধিক প্ৰমাণ আদ্যলীলাত পাই অহা গৈছে।

শ্ৰীকৃষ্ণ-চৰিত্ৰৰ মধ্যলীলাত অলৌকিকতা বিকাশৰ আভাস নাই বুলিবই পাৰি ; যৎকিঞ্চিত যি বৈছে, সিও লৌকিকতাত নিমজকৈ মজি গৈছে। শ্ৰীকৃষ্ণ স্বয়ং প্ৰকৃতি-বাদী ; গতিকে তেওঁৰ মানত লৌকিক কৰ্ম্মজীৱনত অলৌকিকতা দেখুৱাটোৱেই অপ্ৰাকৃতিক ;—অপ্ৰাকৃতিকৰ অৰ্থ অসত্য, বা সৃষ্টি-স্থিতি-বিৰোধী। আনপ্ৰকাৰে চাবলৈ গলে, সৃষ্টি-স্থিতি-প্ৰলয়ৰ সমমাজতে কৃষ্ণস্থিতি ; অৰ্থাৎ শ্ৰীকৃষ্ণ সততে সৃষ্টিৰ স্থিতিৰ্ ফলীয়া। তেওঁ স্বভাৱতে ৰক্ষণশীল। আন হাতে, প্ৰকৃতিয়েই সেই স্থিতি-ৰীতিৰ সুৰক্ষিত চিন্। এতেকে, প্ৰকৃতিৰ স্থিতিবিৰোধী অপ্ৰা-কৃতিকতা, অৰ্থাৎ অলৌকিকতা শ্ৰীকৃষ্ণত তিষ্ঠিবই নোৱাৰে, —বিশেষকৈ সাংসাৰিক জীৱন-লীলাত। এই মধ্যলীলা-ছোৱা তাৰ নিভাঁজ চিত্ৰ,—এই ছোৱা কৃষ্ণলীলা চালে সংসাৰখন চাবই নালাগে। গতিকে, আজিৰ ঘোৰ সংসাৰী জগতক,—বিশেষকৈ পতিত ভাৰতক,—পুনৰু-থানলৈ 'শ্ৰীকৃষ্ণ'ৰ এই 'মধ্যলীলা' ছোৱাই কাৰ্য্যকৰী গুণ দিব বুলি আমাৰ দৃঢ়বিশ্বাস।—আপদত হে যে সম্পদ, অশান্তিত হে যে শান্তি, দুখত হে যে সুখ, জঞ্জালত হে যে নিজঞ্জাল, অবিশ্ৰান্ত কৰ্ম্মবীৰ শ্ৰীকৃষ্ণ-জীৱনৰ মধ্যলীলা-ছোৱা তাৰ জ্বলন্ত পটন্তৰ।

আদ্যলীলাত দিয়া প্ৰথম পাতনিৰ আঁচনিতে আঁক-পাৰি লোৱা হৈছে যে, ভগৱান শ্ৰীকৃষ্ণলৈ বুৰঞ্জীৰ ভেঁটিত আসন পতাই এই 'শ্ৰীকৃষ্ণ' প্ৰণয়নৰ মুখ্য উদ্দেশ্য ; 'শ্ৰীকৃষ্ণ' মধ্যলীলাছোৱাত সেই উদ্দেশ্যৰ ভালেখিনি সিদ্ধি হৈছে যেন লাগিছে, কিয়নো, কৃষ্ণাখ্যানৰ এইছোৱাত শ্ৰীকৃষ্ণই বুৰঞ্জীৰ ভেঁটিত ভেজনি লোৱাতকৈ বুৰঞ্জীয়ে হে শ্ৰীকৃষ্ণত অবিচ্ছিন্নভাৱে ভেজা লোৱা দেখা যায়। কৃষ্ণবিনে, বৈশম্পায়নৰ মুখে কৃষ্ণসখি তৃতীয় পাণ্ডৱ অৰ্জ্জুনৰ পৰিনাতি জনমেজয় ৰজাই শুনা বেদব্যাস প্ৰণীত মহাভাৰত হেন হিন্দুৰ সবাতোপৰি শ্ৰেষ্ঠ বুৰঞ্জীৰ কথাও অযাচিতে উপন্যাসত পৰিণত হবলগীয়া হয়গৈ ;—মহাভাৰতৰ সভাপৰ্ব্ব, বনপৰ্ব্ব, উদ্যোগপৰ্ব্ব, ভীষ্মপৰ্ব্ব, দ্ৰোণপৰ্ব্ব,

কর্ণপর্ব্ব আদি সেই বুৰঞ্জী-ভেঁটিৰ গাঁথনি স্বৰূপ মহাপর্ব্ব-কেইটা অপৰিহার্য্য শ্রীকৃষ্ণবিনে অসম্পূর্ণ হৈ ৰয়, হৰিবংশ আৰু বিষ্ণুপুৰাণ, ভাগৱতপুৰাণ প্ৰমুখ্যে হিন্দুৰ ইতিহাস-পুৰাণাদিৰ অমূল্য বুৰঞ্জীমূলক কথা অথলে যায়।

'শ্রীকৃষ্ণ'ৰ আদ্যলীলাছোৱাই গুণগ্ৰাহী ৰাইজৰ, বিশেষকৈ শ্রীশ্রীআউনী-আটীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ-গৰা আশাতীত অর্থদান আৰু 'অসম-সাহিত্য-সভা'ৰপৰা মধ্যলীলাছোৱাই আন্তৰিক আদৰ আৰু কিঞ্চিৎমান অর্থ-সাহায্য পোৱাত, আমি বিশেষ উপকৃত আৰু পৰম উৎ-সাহিত হৈছোঁ, সেইবাবে কৃতজ্ঞ অন্তৰে প্ৰভু ঈশ্বৰৰ, সাহিত্য-সভাৰ আৰু ৰাইজৰ গুণ লৈছোঁহক। সঁচাকৈ কবলৈ গলে, 'শ্রীকৃষ্ণ'ৰ নতুন তাঙ্গৰণ যে সতকাই এই জীৱনতে ছপাবলৈ পাম, সেই ধাৰণাকে আমাৰ মনে নধৰিছিল, পিচে কার্য্যতঃ তেনে ধাৰণা অনতিপলমে ফলৱতী হোৱাৰ আগন্তুক দেখি বৰ ৰং লাগিছে। ভগবান্ শ্রীকৃষ্ণদেৱৰ কৃপাত, এই মধ্যলীলাছোৱাও ৰাইজৰপৰা সেই একেদৰেই সাদৰ-সহানুভূতিৰ বল অযাচিতে পোৱাৰ স্বাভাবিক ফলস্বৰূপে অন্ত্যলীলাখণ্ডও সোনকালে পোহৰলৈ উলিয়াবলৈ চল পাওঁ যেন, এই বাঞ্ছা। অলমতি বিস্তৰেণ। ইতি—

তেজপুৰ, অসম
ভাদ, ১৮৫৩ শক

কৃষ্ণপাদ,
শ্রীপদ্মনাথ গোহাঞিবৰুৱা

মধ্যলীলা খণ্ড

(১৫ বছৰীয়াৰপৰা ৭০ বছৰীয়ালৈকে)

প্ৰথম আধ্যা

প্ৰথম ছেদ

ৰাম-কৃষ্ণৰ মথুৰা-প্ৰৱেশ

অক্ৰূৰৰ উপদেশ অনুসৰি নন্দৰাজে ততাতৈয়াকৈ নগৰত প্ৰৱেশ নকৰি, সেই ৰাতিটোৰ কাৰণে নগৰৰ বাহিৰে যমুনাৰ সিপাৰে এখন দিব্য উপবনত বাহৰ পাতি থাকিবলৈ স্থিৰ কৰিলে। তাৰ পাচত, বৃন্দাবনযাত্ৰীবৰ্গক তাতে এৰি, নন্দৰাজ আৰু ৰাম-কৃষ্ণৰ ওচৰত বিদায় লৈ অক্ৰূৰে ৰথত চৰি পুৰী প্ৰৱেশ কৰিলে[১], প্ৰবয়স্কা গোপ-বৰ্গে, ৰাতি-বিয়লি শত্ৰুৱে আপদ-বিপদ ঘটাব নোৱাৰাকৈ অতি সাৱধানে বাহৰ পাতি লৈ, ভোজনৰ পাচত, শয়নৰ ব্যৱস্থাত ধৰিলে। ইতিছেগতে, ৰাতি তুৰ্ভাৰমান যোৱাত, গৰখীয়া-সেনাদলৰ জনদিয়েক বছা-বছা বলী আৰু যুঁজাৰু লগৰীয়াৰে সৈতে ৰাম কৃষ্ণই মথুৰাপুৰীত প্ৰৱেশ কৰিলে।[২]

ইয়াৰ আগেয়ে মথুৰা নগৰবাসীয়ে ৰাম-কৃষ্ণক সাক্ষাৎ-স্বৰূপে দেখিবলৈ পোৱা নাছিল। আৰু, সেই ৰাতি যে ৰাম-কৃষ্ণই মথুৰাপুৰীত প্ৰৱেশ কৰিবহি তাকো অনেকে নাজানে। কিন্তু, পুৰবাসীগণে তাৰ সম্ভেদ নোপোৱাকৈ থকা নাই, সিবিলাকে পুৰী-প্ৰত্যাগত অক্ৰূৰৰ ভাব-গতি আৰু কথা-বাৰ্ত্তাৰপৰাই বুজি খৈছিল যে, ৰাম-কৃষ্ণ নগৰ সোমায়হি হে লাগে। সেই কাৰণে, পুৰবাসীসকলে, বিশেষকৈ পুৰনাৰীগণে প্ৰতি মুহূৰ্ত্ততে সিবিলাকৰ আগমনৰ প্ৰতীক্ষা কৰি আছিল। পিচে, বসুদেৱনন্দনদ্বয়ে যেতিয়া স্বৰূপকৈয়ে লগৰীবৰ্গৰে সৈতে পুৰীত প্ৰৱেশ কৰিলেহি, তেতিয়া সিবিলাকক দৰ্শন কৰাৰ উদ্দেশ্যে পুৰনাৰীগণে উৎকলীকৃত হৈ গিৰ্ গিৰ্ কৈ নিজ নিজ অট্টালিকাৰ ওপৰ-চোতালত উঠিলেগৈ। বাস্তৱতে, পুৰনাৰীগণ সেই অৰ্থে ইমান উত্ৰাৱল হৈছিল যে, ৰাম-কৃষ্ণৰ পুৰী-প্ৰৱেশৰ সম্ভেদ পোৱা মাত্ৰকে, কোনোৱে কাচুতি হেৰুৱাই এক অঙ্গৰ পৰিধেয় বস্ত্ৰ অন্য অঙ্গত পিন্ধি, কোনোৱে একাণে কৰীয়া পিন্ধি ইকাণ শুদাকৈয়ে, কোনোৱে এহাতে খাৰু পিন্ধি ইহাত উকাকৈয়ে, কোনোৱে এটি পাৱত নেপুৰ বান্ধি ইটি পাৱত বান্ধিবলৈ পাহৰি, কোনোৱে এটা চকুত কাজল লগাই ইটো চকুত লগাবলৈ নৌ পাওঁতেই, কোনোৱে খাবলৈ বহিয়েই পাত্ৰৰ আহাৰ পাত্ৰতে এৰি, কোনোৱে কোলাৰ কেঁচুৱা কোলাতে লৈ, ঢাপলি ধৰি আলি-কাষৰীয়া পকী ঘৰৰ ওপৰ-চোতাললৈ উঠি সতৃষ্ণ চকুৰে চাবলৈ ধৰিলে[৩]। কিন্তু, নগৰবাসী সৰ্ব্বসাধাৰণ লোক এই বিষয়ত অনাভুৱা হেতুকে সিবিলাকৰ কেৱে ৰাম-কৃষ্ণক

---

(১) হৰিবংশৰ ৮৩ আধ্যাত কোৱা হৈছে যে, অক্ৰূৰে তেওঁৰ লগতে ৰথত চৰাই লৈ কৃষ্ণ আৰু সঙ্কৰ্ষণকো মথুৰা নগৰীত প্ৰৱেশ কৰায়। কিন্তু, ভাগৱত পুৰাণমতে, শ্ৰীকৃষ্ণৰ অনুৰোধ অনুসৰি অক্ৰূৰে সিবিলাকক যমুনাৰ সিপাৰতে এৰি, অকলে পুৰী প্ৰৱেশ কৰি কংস ৰজাক কৃষ্ণ-আনয়নৰ সংবাদ দিলেগৈ।—শ্ৰীমদ্ভাগৱত; দশম স্কন্ধ, ৪১ আধ্যা, ১৫ শ্লোক।

(২) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪১ আধ্যা, ১৬ শ্লোক।

(৩) কাশ্চিদ্বিপৰ্য্যগ্ ধৃতবস্ত্ৰভূষণা বিস্মৃত্য চৈকং
যুগলেষথাপৰাঃ।
কৃতৈকপত্ৰশ্ৰৱণৈকনূপুৰা নাঙ্ক্ত্বা দ্বিতীয়ং
ত্বপৰাশ্চ লোচনং॥
অশ্নন্ত্য একান্তদপাস্য সোৎসবা অভ্যজ্যমানা
অকৃতোপমজ্জনাঃ।
স্বপন্ত্য উত্থায় নিশম্য নিস্বনং নিপায়য়ন্ত্যোহৰ্ভম-
পোহ্য মাতৰঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪১ আধ্যা, ২২—২৩ শ্লোক।

চিনিব নোৱাৰিলে। সেই সময়ত ধনুর্মখলৈ নিমন্ত্রিত অনেক ৰাজ-ৰাজোৱাৰ চাপি নগৰ সোমাইছিলহি, গতিকে দুৱৰী, প্রহৰী, কটোৱাল আদিয়ে আন দিনাৰ দৰে সেই ৰাতি নগৰ-ভ্রমণ কৰাত অচিনাকী মানুহক হকা-বধা কৰা নাছিল। সেই সুচলতে, ৰাম-কৃষ্ণই লগৰীয়া গোপালবর্গৰে সৈতে অবাধে নগৰভ্রমণ কৰিবলৈ ধৰিলে। আন কি, সিবিলাকে হেলাৰঙ্গে ৰজাৰ কাৰেং পর্য্যন্ত পৰিদর্শন কৰিলেগৈ, মাথোন সেইখিনিতে ৰাজ-দুৱৰীৰ লগত সিবিলাকৰ অলপ ঠোঁটা মোজা লাগিছিল।

দ্বিতীয় ছেদ

ধোবা-বধ, কুঁজী-বাইৰ কুঁজ-পোন্

পুৰী পৰিদর্শন কৰি ফুৰোঁতে ফুৰোঁতে ৰাম-কৃষ্ণ কাপোৰত ৰহণ লগোৱা এটা ৰাজ-ধোবাৰ দুৱাৰ-মুখত উপস্থিত হলগৈ। ধোবাই তেতিয়া ৰজাৰ নিকা পৰিচ্ছদ গোটাদিয়েকত বিধ্-বিধ্‌কৈ ৰহণ লগাইছিল। ৰাম-কৃষ্ণই ধেমালিকৈ তাক দুটা নীলা আৰু পীত বৰণীয়া পৰিচ্ছদ খুজিলে। ধোবাই সিবিলাকৰ যাজ্ঞা অগ্রাহ্য কৰি, সন্নিধানত এই বুলি সিবিলাকক ইতিকিং কৰিলে,—"তহঁতে নো লগৰ-লগৰী এৰি কোন্‌খন বনৰপৰা আহিছহঁক? ৰজাৰ পৰিচ্ছদ কোনোবা জনমত দেখিছিলিনেহঁক? —দেখা হলে, মথুৰাধিপতি কংসৰাজে পিন্ধিবৰ অর্থে যুগুত কৰা ৰাজপৰিচ্ছদলৈ বাতুলৰ দৰে বাঞ্চা নকৰিলিহেঁতেন।"[১] ধোবাৰ কঠুৱা আচৰণত কুপিত হৈ শ্রীকৃষ্ণই গোৰ মাৰি তাৰ মূৰৰ লাওখোলা ভাঙ্গি পেলালে। ধোবাৰ ল'ৰা-তিৰোতাই আতুৰ ভাৱে কান্দি-কাটি ৰজাৰ আগত গোচৰ দিবলৈ ঢাপলি ধৰিলে। ইফালে ৰাম-কৃষ্ণই সেই ধোবাৰ গাঁথৰিৰপৰা দুয়ো দুটি নীলা আৰু পীত বৰণীয়া পৰিচ্ছদ নিজৰ নিমিত্তে বাছি লৈ, আৰু লগৰীয়া-বর্গকো গায়পতি একোটাকৈ বাছি লবলৈ দি[২], তাৰপৰা প্রস্থান কৰিলে।

তাৰ পাচত, ৰাম-কৃষ্ণই এটা মালীৰ দোকানৰ আগত উপস্থিত হৈ, তাক মৰম লগাই দুধাৰ সুগন্ধি ফুলৰ মালা খুজিলেগৈ। গুণক[৩] নামে সেই মালীটোৱে কৃষ্ণৰ কৰুণবাণীত মোহিত হৈ ততালিকে দুইকো দুধাৰি মনোমত মালা পিন্ধাই দিলে। শ্রীকৃষ্ণই তাৰ আচৰণত সন্তুষ্ট হৈ, তাক আশীর্ব্বাদ দি, তাৰপৰা আন ফালে গতি কৰিলে।

গৈ গৈ এইবাৰ ৰাম-কৃষ্ণই বাটত কুঁজীবাইক লগ পালেগৈ। সেই সময়ত সেই ত্রিবক্রা নামে কুঁজী লিগিৰীয়ে হাতত চন্দনৰ পাত্র লৈ অন্তঃপুৰলৈ গৈছিল। কুঁজীক উপহাস কৰি শ্রীকৃষ্ণই এই বুলি মাত লগালে, "হেৰা বাই! কলৈ নো যোৱাঁ, কাক নো চন্দন পিন্ধাবাঁগৈ?—আমাকো একোটি ৰেখা দি যাবাঁ নে?" কৃষ্ণবাণী শুনি বিমোহিত হৈ, ত্রিবক্রাই অতি আগ্রহেৰে আথে-বেথে ৰাম-কৃষ্ণ দুইৰো কপালত ধুনীয়াকৈ দুটি চন্দনৰ ৰেঘা পিন্ধাই দিলে। তাতে তুষ্ট হৈ বিচক্ষণীয়া বৈদ্য শ্রীকৃষ্ণই বাওঁ-হাতৰ তিনি আঙ্গুলিৰে সৈতে ত্রিবক্রাৰ থুঁতৰিত ধৰি তাইৰ মূৰটো ওপৰলৈ তুলি, নিজৰ দুই ভৰিৰে সৈতে তাইৰ ভৰিৰ ওপৰ-পতাত গচকা মাৰি ধৰি, সোঁ-হাতৰ তিনি আঙ্গুলিৰে সৈতে তাইৰ কুঁজৰ শিৰা-মোচৰাৰ ওপৰত টিপনি দি, নিজৰ গাৰ ফালে ধীৰে ধীৰে চিপিয়াই অনাত, "কুঁজীবাই" পোন্ হৈ "ষোল-বছৰীয়া" জীযাৰীজনী যেন হৈ পৰিল[৪]! ত্রিবক্রাই তেতিয়া নিজক বৰ ৰূপহী যেন দেখি, কৃতজ্ঞতাৰ সৈতে

(১) (ক) হৰিবংশ, বিষ্ণুপর্ব্ব, ৮৩ আধ্যা।
(খ) শ্রীমদ্ভাগৱত, দশম স্কন্ধ, ৪১ আধ্যা, ৩০ শ্লোক।

(২) বসিত্বাত্মপ্রিয়ে বস্ত্রে কৃষ্ণঃ সঙ্কর্ষণ স্তথা।
শেষাণ্যাদত্ত গোপেভ্যো বিসৃজ্য ভুবি কানিচিৎ॥
—শ্রীমদ্ভাগৱত, দশম স্কন্ধ, ৪১ আধ্যা, ৩২ শ্লোক।

(৪) (ক) হৰিবংশ, বিষ্ণুপর্ব্ব, ৮৩ আধ্যা। কিন্তু ভাগৱত পুৰাণ মতে এই মালাকাৰৰ নাম সুদাম হে।
(খ) পদ্ভ্যামাক্রম্য প্রপদে দ্ব্যঙ্গুল্যুত্তানপাণিনা।
প্রগৃহ্য চিবুকেঽধ্যাত্মমুদনীনমদচ্যুত॥
—শ্রীমদ্ভাগৱত, দশম স্কন্ধ, ৪২ আধ্যা, ৭ শ্লোক।

শ্ৰীকৃষ্ণক তাইৰ ঘৰলৈ আহ্বান কৰিলে। সেই কথাত ৰসিক কানায়ে বলাইৰ মুখলৈ চাই খল্‌খলাই হাঁহি "কুঁজীবাই"ক এই বুলি সমিধান দিলে[১], "হেৰা বাই, সম্প্ৰতি আমাৰ কৰিবলগীয়া ভালেমান লাগতিয়াল কাম আছে, সেইবোৰ সমাধা কৰি উঠি হে তোমাৰ অনুৰোধ ৰক্ষা কৰিবলৈ চোৱা যাব"।[২] এইদৰে মিঠামুখে ত্ৰিবক্ৰাক বিদায় দি, ৰাম-কৃষ্ণই সাউৎকৰে আনফালে গতি কৰিলে।

তৃতীয় ছেদ

কংসৰ অস্ত্ৰাগাৰত শ্ৰীকৃষ্ণৰ প্ৰৱেশ

ৰাম-কৃষ্ণই কাৰেঙৰপৰা উলটি বাহৰলৈ যাওঁতে বাটত সৰু-বৰ কেইবাটাও জগৰ লগোৱা কাম কৰিছিল। তাৰ ভিতৰত, ৰজাৰ অস্ত্ৰাগাৰত প্ৰৱেশ কৰি কংসৰ ধনুৰ্মখৰ অৰ্থে অৰ্পিত ইন্দ্ৰধেনু ভঙ্গ কৰা ঘটনা প্ৰধান। মধুবনৰপৰা ওলাই অহা দুটি প্ৰমত্তসিংহৰ দৰে চক ধৰি ধৰি চাই চাই পুৰী পৰিদৰ্শন কৰি গৈ গৈ সন্দোশেহত ৰাম-কৃষ্ণ ৰাজৰ অস্ত্ৰাগাৰৰ সমুখত উপস্থিত হলগৈ। তাৰ পাচত, তাৰ ভিতৰলৈ সোমাই গৈ এখন প্ৰকাণ্ড ইন্দ্ৰধেনু দেখা পাই বাসুদেৱে অস্ত্ৰাগাৰ ৰক্ষকক সুধিলে, সেইখনেই কংসৰ ধনুৰ্যাগৰ অৰ্থে অৰ্পিত ধেনু নে? ৰক্ষকে হয় বুলি বোৱা মাত্ৰে মহাবাহু শ্ৰীকৃষ্ণই সবেগে কাষ চাপি গৈ, ধেনুখন একেচিপে বাওঁহাতে তুলি লৈ, আঁঠুৰ ভেজনিৰে ভিৰাই ধৰি, সোঁ-হাতেৰে তাত জোৰ লগাই টঙ্কাৰ দিবলৈ ধৰিলে। ধেনুখন নানাতৰহৰ বহুমূলীয়া ৰত্নপতোৱা চকচকীয়াকৈ দৈত্যপূজাৰ অৰ্থে প্ৰতিষ্ঠিত আছিল, গতিকে অস্ত্ৰাগাৰৰ ৰক্ষক প্ৰমুখ্যে উপস্থিত ৰাজকৰ্মচাৰীবৰ্গে ধেনুত হাত নলগাবলৈ বাৰম্বাৰ নিষেধ কৰিবলৈ ধৰিলে। কিন্তু, কেঁচা তেজৰ সোৱাদ পাই উন্মত্ত হোৱা প্ৰমত্ত সিংহশিশুৰ দৰে, অমিততেজা দৈৱকীনন্দন শ্ৰীকৃষ্ণই সিবিলাকৰ মানাহিলৈ আওকাণ কৰি পুনঃ পুনঃ টঙ্কাৰ দিবলৈ ধৰিলে, শেহান্তৰত বজ্ৰপাতৰ শবদেৰে সৈতে নগৰবাসীক চমক্ খুৱাই ধেনুখন মাজতে দুডোখৰ হৈ ভাগি থাকিল। ৰক্ষকে, বিচুৰ্ত্তি খাই লৰি কোঁপাই-জোপাই গৈ ৰজাৰ আগত গোচৰ দিলেগৈ; ইতি-অৱসৰতে সদলে ৰাম-কৃষ্ণই তাৰপৰা প্ৰস্থান কৰিলে। সেইবাবে ৰাজকীয় শান্তিৰক্ষক সেনাদল সিবিলাকৰ পিচ্ লাগিছিল[৩], পিচে, নন্দ বাহৰৰ সমুখত বৃন্দাবনৰ যাত্ৰীৰূপী শিক্ষিত সেনাদলে ফেৰ পাতি ধৰাত, তাৰেপৰা ৰাজকীয় সেনাই উলটি আহি ৰজাত সকলো বৃত্তান্ত নিবেদিলেহি। কংসৰাজে তৎপৰ্ব্বেই অক্ৰূৰৰ মুখে ৰাম-কৃষ্ণৰ মথুৰা-আগমনৰ সংবাদ পাই ভিতৰি বিচলিত হৈ আছিল; কিন্তু ৰাজকীয় বিষয়া আৰু কৰ্মচাৰীগণক, বিশেষকৈ সেনাবৰ্গক সাহ আৰু উৎসাহ দিয়াৰ উদ্দেশ্যে, তেওঁ বাহিৰে অবিচলিত নিৰ্ভীকভাৱ দেখুৱাই কৃষ্ণকৃত সেই ৰাতিৰ ঘটনাৱলী উপলুঙাকৈ উৰাই দিলে। ৰজাই নগণ্য বোধ কৰা যেন দেখি বিষয়া, কৰ্মচাৰী আৰু সেনাবৰ্গ নিশ্চিন্ত হৈ দিহাদিহি আঁতৰি গল, ইফালে কংস ৰজাই শয্যাত পৰি আগন্তুক সমস্যাৰ বিষয়ে ভাবি নানা অমঙ্গলীয়া সপোন দেখিবলৈ ধৰিলে।

---

(১) এই ঘটনাত গঁঠিলা লৈয়ে শ্ৰীমদ্ভাগৱত আৰু ব্ৰহ্মবৈৱৰ্ত্তপুৰাণকাৰে আদিৰসযুক্ত এটা আপচু প্ৰেমচিত্ৰ আঁকি পেলাইছে, আৰু সেই আপাহতে অদ্যাপিও এনে এটা ৰহস্যৰ নাম গোৱা হয়,—"গল কুঁজী গল, চন্দন পিন্ধাবলৈ গল, কৃষ্ণাই লগে পাই, তাতে হে কুঁজীবাই, তাতে হে কুঁজীবাই ষোল-বছৰীয়া-হল।" কিন্তু স্বৰূপত অদ্ভুত বৈদ্য শ্ৰীকৃষ্ণৰ কৃপাত সেই ছেগতে কুঁজী-বাই পোন্ হৈ উঠাত, বাই ১৬ বছৰীয়া গাভৰু যেন হল। ইয়াতপৰ ইয়াত আন অৰ্থ একো নাই।

(২) এত্যমি তে গৃহং সুভ্ৰু পুংশামাধিবিকৰ্ষণং।
সাধিতাৰ্থোঽগৃহাণাং নঃ পান্থানাং ত্বং পৰায়ণং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪২ আধ্যা, ৯ শ্লোক।

(৩) (ক) বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, ২৪ ছেদ।
(খ) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪২ আধ্যা ১২—১৭ শ্লোক।
(গ) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৮৩ আধ্যা।
(ঘ) ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ, কৃষ্ণজন্ম খণ্ড, ১৭৫—৭৬ পৰিচ্ছেদ।

চতুৰ্থ চ্ছেদ

নন্দৰাজৰ মথুৰা-প্ৰৱেশ

পিচদিনা উপজি-পুৱাতে ৰাম-কৃষ্ণৰ মথুৰা-প্ৰৱেশৰ সম্ভেদ্ ঘুমুক্-ঘানাককৈ জনাজাত হল, আৰু অক্ৰুৰ-সংবাদ নগৰৰ চৌপাশে ৰাষ্ট্ৰ হৈ পৰিল। মথুৰাবাসী নৰ-নাৰী সকলোৱে উলহ-মালহকৈ পিন্ধি-উৰি কৃষ্ণদৰ্শনৰ প্ৰতীক্ষাত ৰাজ-আলিৰ কাষে কাষে শাৰী পাতিলেগৈ। যথাসময়ত, যেতিয়াই বৃন্দাবনৰ গোপ যাত্ৰীদলৰ মাজত জিলিকি ৰাম-কৃষ্ণই প্ৰকাশ্যে মথুৰা নগৰত প্ৰৱেশ কৰিলে, তেতিয়াই শাৰী-পতা নাৰীবৰ্গৰ মঙ্গল-উৰুলি শুনি সদৌ নগৰৰ অন্তৰত এটি অভাবনীয় আৰু অনিৰ্ব্বচনীয় শান্তিৰ ভাব উথলি উঠিল, নৰসমূহৰ আশীৰ্ব্বাদৰ হৃদয়গ্ৰাহী উচ্চৰাৱে নগৰ জুৰি এক অপায়হাৰী ভাব বিয়পাই দিলে। সেই ক্ষণত এজনৰ গাত মাথোন সেই শান্তি সূচনাই অশান্তিৰ বিহ লগালে,—তেওঁৰ অন্তৰত প্ৰাণান্তক আপদৰ ঢৌ তুলিলে,—সেইজন মথুৰাৰ অধীশ্বৰ প্ৰবল প্ৰতাপী ৰজা কংস। ৰাম-কৃষ্ণ দৰ্শন লাভ হোৱা মাত্ৰকে মথুৰাবাসী বিমোহিত হল, সদৌ নগৰ-বাসীয়ে তন্ময় ভাবত ৰাম-কৃষ্ণৰ ৰূপলীলা চাবলৈ ধৰিলে[১]। সেই মুহূৰ্ত্তত সিবিলাকে ৰজাৰ ভঁৰিলৈ কটাক্ষ কৰকছাৰি আপোন-পাহৰা আনন্দত উতলিবলৈ ধৰিলে। এনেতে, ৰঙ্গমঞ্চত ডবা, ঘণ্টা, শঙ্খ, ভেৰী আদি বাজি উঠিল। যজ্ঞাৰম্ভণৰ সেই ঘোষণা অনুসৰি দলে দলে দৰ্শকবৃন্দ যজ্ঞ-টোলৰ মুখে আগ বাঢ়িবলৈ ধৰিলে। বৃন্দাবনৰ যাত্ৰীবৰ্গৰ অধ্যক্ষ গোপৰাজ নন্দয়ো সদলে সেই মুখে ক্ৰমাৎ আগ বাঢ়িলে। এনেতে, যজ্ঞমঞ্চৰ দুৱাৰমুখ পাওঁ-পাওঁ হওঁতে, অলক্ষিতে ছয়াকাটি ৰাম-কৃষ্ণ পিচুৱাই পৰিল। তাৰ অৰ্থ-উদ্দেশ্য মাথোন সিবিলাকে হে জানে,—আৰু কোনোবাই তাৰ সম্ভেদ্ পায় যদি, তেওঁ স্বয়ং গোপৰাজ নন্দ[২]। নন্দৰাজ সদলে নিৰ্ব্বিবাদে যজ্ঞটোলৰ দুৱাৰেদি ভিতৰ সোমাল। সিবিলাকে পোন্-প্ৰথমে অক্ৰুৰ ৰাজকৰ্ম্মীৰ মুখে আদেশিত হৈ, লগত নিয়া ভাৰ-ভেটী আদিৰে সৈতে ৰাজকৰ আগবঢ়াই ৰজাৰ ওচৰত ওলগ ললেগৈ; তাৰ পাচত গোপৰাজে তেওঁৰ অনুগামী যাত্ৰীগণৰে সৈতে ধীৰে-শাঁতে প্ৰৱেশ কৰি নিৰ্দ্ধাৰিত মঞ্চত আসন ললে গৈ।[৩]

দ্বিতীয় আধ্যা

প্ৰথম চ্ছেদ

কংসবধ

যজ্ঞাৰম্ভণৰ ঘোষণা হোৱা মাত্ৰকে নিমন্ত্ৰিত ৰাজ-ৰাজোৱাৰসকলে দলে-বলে আহি ভাগে-ভাগে ৰঙ্গমঞ্চত নিৰূপিত ঠাযে-ঠাযে আসন ললেহি। গোপবৰ্গৰে সৈতে নন্দৰাজক ৰাজমঞ্চৰ পিচফালে যথাসন্মানেৰে আচুতীয়াকৈ এঠাইত আসন দিয়া হৈছিল। অক্ৰুৰ আৰু বসুদেৱে গোপমঞ্চৰ পিচতে ঠাই পাইছিল। তিৰোতাদৰ্শকবৃন্দৰ অৰ্থেও যোগ্যতানুসাৰে স্বকীযা মঞ্চৰ ব্যৱস্থা কৰা হৈছিল। চাপিবলগীযা প্ৰায় সকলো নিমন্ত্ৰিত দৰ্শকবৰ্গ যজ্ঞৰ টোলত চাপিলহি, বাকী ৰল মাথোন ৰাম-কৃষ্ণ। সিবিলাকৰ আগমন সমবেত ৰাইজে উৎকণ্ঠিতভাৱে প্ৰতীক্ষা কৰিছে,—কিন্তু ৰাম-কৃষ্ণ ওলোৱাহি নাই। কিয় নাই ওলোৱাহি, তাৰ প্ৰকৃত তত্ত্ব কংসৰাজ আৰু তেওঁৰ পাত্ৰ-মন্ত্ৰীবৰ্গেহে জানে। কাৰণ, ধনুৰ্মখ ৰঙ্গমঞ্চৰ টোলৰ ভিতৰ সোমাবলৈ নৌ পাওঁতেই প্ৰৱেশ-দুৱাৰতে ৰাম-কৃষ্ণক হাতীৰে গচকাই মাৰিবলৈ বুলি কুবলয় নামে এটা প্ৰকাণ্ড হাতী সাজুকৈ ৰখা হৈছিল। কংসৰাজৰ দৃঢ় বিশ্বাস আছিল যে, সেই বৰ্গক নিৰ্ব্বিবাদে পাৰ কৰি লৈ, নিজে নিচুৰীয়া হৈ লৈছিল।

---

(১) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৮৩ পৰিচ্ছেদ।

(২) ৰাম-কৃষ্ণ আৰু নন্দৰাজে বৃন্দাবনতে অক্ৰুৰৰ মুখে কংস-ষড়যন্ত্ৰৰ বিষয়ে সবিশেষ শুনি থৈছিল, অদ্ভুত কৌশলী মতিমান শ্ৰীকৃষ্ণই অগ্ৰজ বলৰামৰে সৈতে পৰামৰ্শ কৰি, কুবলয়নিধনৰ সূচনাৰ্থে সেইথিনিতে লগৰীয়া যাত্ৰী-

(৩) নন্দগোপাদয়ো গোপা ভোজৰাজসমাহূতাঃ।
নিবেদিতোপায়নাস্ত একাস্মিন্ মঞ্চ আৱিশন্॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪২ আধ্যা, ৩১ শ্লোক।

দুৱাৰতে কুবলয়ে ৰাম-কৃষ্ণৰ নিশ্চয় আধ্যা পেলাব। পিচে, ৰাম-কৃষ্ণ যেতিয়া ধনুৰ্মখৰ দুৱাৰত উপস্থিত হলগৈ, তেতিয়া মাউতৰ টিপনি-সঙ্কেতমতে সেই প্ৰকাণ্ড দঁতাল হাতী কুবলয়ে বাট-পথালি দি ভেটি ধৰিলে। ৰাম-কৃষ্ণই বাৰম্বাৰ বাট এৰি দিবলৈ কোৱাৰ স্থলতো মাউতে আওকাণ কৰা দেখি, শ্ৰীকৃষ্ণই তাক 'যমপুৰীলৈ পঠিয়াম' বুলি ভয় দেখুৱাত, সি খং কৰি উলটি দেখা-দেখিকৈ ৰাম-কৃষ্ণক বধ কৰিবলৈ হাতী-লগাই দিলে। কুবলয়ে শুৰ মেলি কৃষ্ণক কঁকালসাবটা মাৰি ধৰি তাৰ ঠেঙ্গত আছাৰি পেলাবলৈ ধৰোঁতেই, পাকতে এৰাই কৃষ্ণই তাৰ ঠেংতলে সৰকি পেটৰ তললৈ সোমাই গৈ, নেগুৰডাল ভিতৰলৈ ভিৰাই ধৰি, পিচঠেঙ্গত খোপনি লৈ, টানি আনিলে, হাতীয়ে আগ-চেউৰাৰ মাজেদি শুৰ মেলি কৃষ্ণৰ বাউসিত মেৰাই ধৰিব খোজোঁতেই মহাবল বলদেৱেও পাচত গৈ কৃষ্ণলগ লাগি তাৰ শুৰডালো টানি ধৰি, শুৰে-নেগুৰে লগলগাই লৈ, দুয়ো কঁকালৰ টঙ্গালিৰে সৈতে আঁটি বান্ধি পেলালে, তাৰ পাচত দুয়ো ওলাই আহি হাতীটোৰ কাণ দুখনত ধৰি আগলৈ টান মাৰি দিলেহি, হাতী হাম্‌খুৰি খাই মাটিত এহাতলৈ দাঁত পোত্ গৈ পৰি গল; ইতিছেগতে তাৰ কাণৰ বিন্ধাত খুচি তাক লুটিবাগৰ দিবলৈ উত্তেজিত কৰাৰ ফলত দাঁতযোৰ গুৰিতে মোচোকাখাই ভাগি থাকিল! হাতীটো কৰ্ফাল খাই কাতি হৈ পৰি মূছ্‌কছ্ গল। সেই সুযোগতে বসুদেৱনন্দনদ্বয়ে হাতীৰ দাঁতেৰেই হাতীটো টঙ্গনিয়াই বধি অটাই, মাউতটোক সঁচা-সঁচিকৈয়ে যমপুৰীলৈ পঠিয়ালে। সেই দৰেই, বৃন্দাবনত বিবিধ ভীষণ জন্তু বধ কৰা কৌশলত সুনিপুণ ৰাম-কৃষ্ণৰ বাগি-বুগাৰ আগত কুবলয় সৰহপৰ ঠাৱৰিব নোৱাৰিলে; তাক আচৰিত ধৰণৰ হাতী-বাগিৰ কৌশলেৰে তাতে বধ কৰাৰ পাচত, ৰাম-কৃষ্ণই তাৰ ভগাদাঁত দুয়ো দুটা কানত যমদণ্ড লোৱাদি লৈ, আৰু তাৰ তেজেৰে ৰাঙলি হৈ, দুটি প্ৰমত্ত সিংহৰ দৰে যজ্ঞৰ টোলত প্ৰৱেশ কৰি, নন্দমঞ্চত আসন ললেগৈ।*

ৰাম-কৃষ্ণই আসন লোৱা মাত্ৰকে ৰাজকীয় শিঙ্গা-ভেৰী বাজি উঠিল। সুপ্ৰখ্যাত মাল-যুঁজাৰু চাণুৰ-মুষ্টিকে লফিয়াই-জঁপিয়াই মাল-চক্ৰৰ ভিতৰলৈ সোমাই বাউসিত চপৰিয়াই যুদ্ধ আহ্বান কৰি ৰাম-কৃষ্ণৰ ফালে ভেঙু চালি কৰি ঘনে ঘনে চাবলৈ ধৰিলে। ৰাম-কৃষ্ণয়ো সময়ৰ অপব্যয় নকৰি ততালিকে গোপদৰ্শক-মঞ্চৰপৰা গহীনগামী গজেন্দ্ৰ গমনেৰে আগ বাঢি গৈ যুঁজৰ চকৰত থিয় দিলেগৈ। যাৰ নাম শুনিলেই বৰ বলৱন্ত যুঁজাৰুৱেও পিচ-চোঁহকা মাৰে, কংস ৰজাৰ সেই ভয়ঙ্কৰ মাল-যুঁজাৰু চাণুৰৰ লগত যুঁজিবলৈ কৃষ্ণই নিজে ফেৰ পাতি লৈ, মুষ্টিকৰ লগত লাগিবলৈ অগ্ৰজ বলৰামৰ প্ৰতি সঙ্কেত দিলে। পিচমুহূৰ্ত্ততে সিংহ গৰ্জ্জনেৰে ৰঙ্গমঞ্চত দুয়োযোৰাৰ মালযুঁজ আৰম্ভ হল। দেখি, সমবেত দৰ্শক-মণ্ডলীয়ে হাঁয় হাঁয় কৰিবলৈ ধৰিলে। একালে দুটি কুমলীয়া চৈধ্য পোন্ধৰ বছৰীয়া চেমনীয়া লৰা, আন ফালে দুটা ভয়ঙ্কৰ চম্ফল ডেকা মাল! বিশেষকৈ, তিৰোতা-মঞ্চৰপৰা এই বুলি মৰ্মস্পৰ্শী আক্ষেপসূচক গৰিহণা উঠিবলৈ ধৰিলে, "হাঁয়, এই অন্যায আৰু অসঙ্গত মালযুঁজৰ সুবিচাৰ কৰিবলৈ কোনো ন্যায়পৰায়ণ জ্ঞানীলোক ৰঙ্গমঞ্চত উপস্থিত নাইনে যে, তাৰ যথাযথ প্ৰতিবিধানৰ দিহা দিয়ে!" বাস্তৱতে তেনেজন ওলাওঁতা হোৱা নাই, কংসৰ ভয়ত কেৱেঁ মাতিবলৈ সাহ কৰা নাই। সকলো নিমাত। কিন্তু, সকলোৱেই নীৰৱে ৰাম-কৃষ্ণৰ জয় কামনা কৰিছে। সেই অৱস্থাত উগ্ৰসেন, বসুদেৱ, অক্ৰূৰ আৰু নন্দৰাজৰ মুখ ম্লান পৰি আহিল, ৰাম-কৃষ্ণৰ প্ৰাণৰ আশঙ্কাত সিবিলাক আতুৰ হৈ পৰিল। সিবিলাকৰ সমানে বিষাদী যাদববৰ্গে কোৱাকুই কৰিবলৈ ধৰিলে যে এই অন্যায়-অবিধি মল্লযুদ্ধৰ বিৰুদ্ধে প্ৰতিবাদ কৰা উচিত, কিয়নো কুমলীয়া চেমনীয়া কৃষ্ণৰ সৈতে চম্ফল ডেকা মহাকায় চাণুৰৰ যোৰা পতাটো

---

* (১) বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, ২৬ আধ্যা।
(২) ব্ৰহ্মবৈবৰ্ত্তপুৰাণ, কৃষ্ণজন্ম খণ্ড, ১৭২ পৰিচ্ছেদ।
(৩) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৮৫ আধ্যা।
(৪) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৩ আধ্যা, ২—১১ শ্লোক।

দেখাতে অসঙ্গত হৈছে। পিছে, সিবিলাকৰ ভিতৰত সেই ভাৱে কথন-মথন হৈ থাকোঁতেই ইন্দ্ৰদৰ্পহাৰী গোবিন্দই প্ৰমত্ত সিংহশিশু-সদৃশে একেলাফে মল্লমঞ্চত সোমাই লৈ এইবুলি সিংহ-গৰ্জ্জনেৰে কবলৈ ধৰিলে, "মই বয়সে সৰু যদিও, এই পৰ্ব্বত হেন মহাকায় মল্লৰ লগত যুঁজিবলৈ মোৰ একান্ত হাবিয়াস হৈছে। মই নাবালক বুলিও, মল্লযুদ্ধৰ নিয়ম-কাৰণৰ অকণো ব্যতিক্ৰম নঘটাওঁ; আপোনালোকে চাই থাওক, কোনো প্ৰকাৰে হকা-বধা নকৰিব।"[১]

চাওঁতে চাওঁতে মালযুঁজ আৰম্ভ হৈয়ে গল। একে সময়তে এহাতে চানুৰ আৰু কৃষ্ণ, আন হাতে মুষ্টিক আৰু বলৰাম যোৰা-যোৰাকৈ দুযোৰাৰ মালযুঁজ চলিবলৈ ধৰিলে।—হাতে-হাতে, বাহুৰে-বাহুৰে; উৰুৰে-উৰুৰে, ভৰিয়ে-ভৰিয়ে, কঁকালে-কঁকালে, কপালে-কপালে, বুকুৰে-বুকুৰে, মালযুঁজৰ নিৰ্দ্ধাৰিত নিয়ম অনুসৰি বিবিধ ভাওঁটিৰে যুঁজ চলিব লাগিছে, কিন্তু কেৰেঁ কাকো হটাব পৰা নাই।[২] এই ভাৱেই এডাঁৰমান সময় পাৰ হৈ গৈছে, কিন্তু যুঁজৰ ফলাফল ওলোৱা নাই। পাচলৈ ছেগ চাই চাই বৃন্দাবনৰ সংসপ্তক সেনানীৰ নায়কযুগলে মাল-যুঁজৰ অদ্ভুত কৌশল খটাবলৈ ধৰিলে, আৰু মহাবলী চানুৰ আৰু মুষ্টিক দুৰ্জ্জয় মালযুগল ক্ৰমাৎ ভাগৰি আহিল। ৰজাৰ মালযুগলক সেইভাৱে নিস্তেজ হৈ পৰা দেখি কংসৰাজ বিচলিত হবলৈ ধৰিলে, তেওঁ হঠাৎ যুঁজৰ চেও-ধৰা বাদ্যাদি বন্ধ কৰাই দিলে, ৰাম-কৃষ্ণৰ যুঁজৰ কৌশলত বেমেজালি ঘটাবলৈ বুলি। কিন্তু, তেওঁৰ সেই উদ্দেশ্য সিদ্ধি নহল; ইফালে ৰাজকীয় বাদ্য বন্ধ হোৱামাত্ৰে শ্ৰীকৃষ্ণৰ সঙ্কেত মতে সিফালে গোপ-মঞ্চৰপৰা বৃন্দাবনীয়া মালযুঁজৰ চেৰে-চেৰে পেঁপা, বাঁহী, মুৰুলী আদি বাজি উঠিল; ৰাম-কৃষ্ণই তাৰ চেৰে চেৰে আগতকৈও অধিকতৰ উদ্দীপ্ত হৈ, সমবেত দৰ্শকমণ্ডলীক মালযুঁজৰ অদ্ভুত কৌশল দেখুৱাই বিস্ময় মনাবলৈ ধৰিলে। সেইদৰে আৰু এখনমান তামোল খাবৰ পৰ যুঁজি, এপাকত শ্ৰীকৃষ্ণই পাক মাৰি চানুৰক লুটিয়াই পেলাই তাৰ বুকুৰ ওপৰত উঠি লৈ আঁঠুৰে সৈতে মূৰত খুন্দিয়াই আৰু হাতেৰে হিয়াত ভুকুৱাই তাৰ দেহাৰপৰা জীৱ বাজ কৰিলে। ইফালে বলৰামৰ হাতত মুষ্টিকৰো সেই দশাই মিলিল। চানুৰ-মুষ্টিকৰ ভীষণ পতন দেখি কুট্, শল্ল, তোষণ নামে আৰু তিনিজন বিচক্ষণীয়া মাল আহি কৃষ্ণৰ লগত এজন-এজনকৈ যুঁজিলেহি, আৰু সেই তিনিওৰো সেই একে দশাই মিলিল।[৩] তাৰ পাচত, যিবিলাক ৰাজকীয় মাল যুঁজিবলৈ সাজু হৈ বাকী ৰৈছিল, সেইবিলাক ভয়ত পলাই পত্ৰং দিলে! এনেতে, গৰখীয়া দৰ্শকবৃন্দে গোপমঞ্চৰপৰা ওলাই, মালচক্ৰৰ ভিতৰ সোমাই, গগনভেদী জয়ধ্বনি তুলি, ৰঙ্গমঞ্চৰ ভিতৰত মৰল পাতি ৰাম-কৃষ্ণক আগুৰি লৈ, সুমধুৰ গীত-বাদ্যেৰে নৃত্য কৰি, সমবেত নৰ-নাৰী দৰ্শকবৃন্দক বিমোহিত কৰিবলৈ ধৰিলে। দেখি দেখি কংসৰাজ উন্মাদৰ দৰে হকে-বিহকে যাকে-তাকে ৰাজাজ্ঞা শুনাবলৈ ধৰিলে, আৰু 'ৰাম-কৃষ্ণ নামে সেই গৰখীয়া ল'ৰা দুটাক' ততালিকে যজ্ঞমঞ্চৰপৰা বাজ কৰি খেদি দি,[৪] আৰু পিতৃৰাজ উগ্ৰসেনক বন্দী কৰি, নন্দ আৰু বসুদেৱক নানা শাস্তি দি বধিবলৈ আজ্ঞা শুনালে। ৰজাই আজ্ঞা শুনালে, কিন্তু শুনি তাক পালন কৰিবলৈ কেও আগ নাবাঢ়িলে। সকলোৰে সহানুভূতি ৰাম-কৃষ্ণৰ প্ৰতি হে বিৰিঙি উঠিল। গতিকে, কংসই স্বয়ং ঢাল-তৰোৱাল লৈ কৃষ্ণক আক্ৰমণ কৰিবলৈ আগবাঢ়ি আহিল।[৫] সেই ছেগতে শ্ৰীকৃষ্ণই লাফ মাৰি ৰাজমঞ্চলৈ উঠি, কংসক চুলিত ধৰি একেটা আঁজোৰতে আনি মাটিত পেলালেহি;

(১) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৮৬ আধ্যা।

(২) অৰত্নীদ্বে অৰত্নীভ্যাং জানুভ্যাং চৈব জানুনী।
শিৰঃ শীৰ্ষ্ণোৰসোৰস্তাবন্যোন্যমভিজঘ্নতুঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৪ আধ্যা, ২ শ্লোক।

(৩) ব্ৰহ্মবৈবৰ্ত্তপুৰাণ, কৃষ্ণজন্মখণ্ড, ১৮১ পৰিচ্ছেদ।

(৪) নিঃসাৰয়ত দুৰ্ব্বৃত্তৌ বসুদেৱাত্মজৌ পুৰাৎ।
ধনং হৰত গোপানাং নন্দং বধ্নীত দুৰ্মতিং॥
বসুদেৱস্তু দুৰ্মেধা হন্যতামাশ্বসত্তমঃ।
উগ্ৰসেনঃ পিতা চাপি সানুগঃ পৰপক্ষগঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৪ আধ্যা, ২৪ শ্লোক।

(৫) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৪ আধ্যা, ২৫ শ্লোক।

আৰু চকুৰ পচাৰতে কংসৰ বুকুৰ ওপৰত উঠি লৈ দুই আঁঠুৰে দুই উশাহগড়ত আৰু বাওঁ হাতেৰে টেটুত চেপি ধৰি, সোঁহাতৰ মুঠিৰে সৈতে হিয়াত ভুকুৱাই মুখত মুকুটিয়াই প্ৰজাৰ শাও-খোৱা অত্যাচাৰী কংস ৰজাক বধ কৰিলে।[১] কংসৰ নিধন-ধ্বনিত অন্তঃপুৰত ৰাজ-পৰিয়ালৰ মাজত হাহাকাৰ ধ্বনি উঠি প্ৰতিধ্বনিত হ'ল। সেই ছেগতে সুমালী প্ৰমুখ্যে আঁঠজন কংসানুজ কৃষ্ণ-বধৰ উদ্দেশে উন্মত্ত হৈ আগ বাঢ়িল। সমবেত ৰাইজে অবিচলিত চিতেৰে চাবলৈ ধৰিলে। লফিয়াই-জঁপিয়াই দুখোজে খেদামাৰি আগুৱাওঁতেই বলৰামে আদবাটতে থাপ্ মাৰি ধৰি ধৰি সিবিলাকো ততালিকে অগ্ৰজৰ অনুগামী কৰিলে।[২]

দ্বিতীয় ছেদ

উগ্ৰসেন পুনৰপি ৰাজপাটত

ধনুৰ্মখত শ্ৰীকৃষ্ণই মালযুঁজত জিকি কংসবধ[৩] কৰা শুনা মাত্ৰে অন্তঃপুৰত হাহাকাৰ লাগি উঠিল। কংসৰাজৰ বিধবা মহাৰাণীৰ বিননি শুনি ৰব নোৱাৰি তেওঁক সান্ত্বনা দিবৰ মনেৰে শ্ৰীকৃষ্ণই স্বয়ং অন্তঃপুৰত প্ৰৱেশ কৰিলে। সেই ছেগতে হাততে পাই, ৰাজপৰিয়ালৰ অনাথিনী মহিলাবৰ্গে তেওঁৰ পাৱত পৰি, ভিক্ষিত ধৰি ইনাই-বিনাই কান্দি থকক লগাবলৈ ধৰিলে। সেই অৱস্থাত সিবিলাকক বুজনি দি শান্ত কৰকছাৰি কৰুণহৃদয় শ্ৰীকৃষ্ণই মৰ্মাহত হৈ সিবিলাকৰ লগতে বিলাপ কৰিবলৈ ধৰিলে। সেই বিলাপতে ভাৱেমান পৰ পাৰ হোৱাৰ পাচত, সকলোটি আপোনা-আপুনি নীৰৱ হ'ল, আৰু সেই অৱসৰতে বাসুদেৱে অন্যান্য যাদৱবৰ্গৰে সৈতে লগলাগি ৰাজযোগ্য আড়ম্বৰেৰে কংসৰাজৰ মৃতদেহাৰ অগ্নি-সংস্কাৰ কাৰ্য্য সমাধা কৰিলে।[৪] সেই সংসৰ্গত শ্ৰীকৃষ্ণৰ অমায়িক আচৰণত সন্তপ্ত ৰাজ পৰিয়াল আৰু সদৌ মথুৰাবাসী নৰ-নাৰী মোহিত হ'ল। সকলোৱেই একমনে আৰু একবাক্যে কৃষ্ণ-মাহাত্ম্য কীৰ্ত্তন কৰিবলৈ ধৰিলে।

প্ৰথমে সন্তপ্ত ৰাজ-পৰিয়ালক সান্ত্বনা দি উঠি, শ্ৰীকৃষ্ণই নিজৰ পিতৃ-মাতৃ বসুদেৱ আৰু দৈৱকীদেৱীৰ কাষ চাপিলেগৈ। সিবিলাকক বন্দীশালৰপৰা মুকলি কৰি অন্তঃপুৰলৈ আনি, বাসুদেৱে আথে-বেথে তেওঁৰ সেই জনক-জননীৰ চৰণত সেৱা জনালেগৈ[৫]। দৈৱকী-বসুদেৱে অপত্য-স্নেহত গদ্‌গদ্ হৈ আপুকণীয়া পুত্ৰধন শ্ৰীকৃষ্ণক প্ৰবল আবেগেৰে আকোঁৱালি ধৰি হেঁপাহৰ চুমা দি দি দুয়ো আনন্দৰ চকু-লো টুকিবলৈ ধৰিলে; আৰু সেই ছেগতে, বন্দীশালত সিবিলাকে ভোগ কৰা দুখ-দুৰ্গতি আদিৰ বিষয়ে

---

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৪ আধ্যা, ২৭ শ্লোক।

(২) তস্যানুজা ভ্ৰাতৰোহষ্টৌ কঙ্কন্যগ্ৰোধকাদয়ঃ।
অভ্যধাবন্নতিক্ৰুদ্ধা ভ্ৰাতুৰ্নিৰ্বেশকাৰিণঃ॥
তথাতিৰভসাস্তাংস্ত সংযত্তান্ ৰোহিণীসুতঃ
অহন্ পৰিঘমুদ্যম্য পশূনিব মৃগাধিপঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৪ আধ্যা,
২৮—২৯ শ্লোক।

(৩) বৃন্দাবনত হেলাৰঙ্গে ৰাম-কৃষ্ণই অদ্ভুত কৌশলেৰে যেনেবিলাক অসুৰ আৰু দৈত্য যেন বনমানুহ আৰু ঘোঁৰা-নেছীয়া সিংহকে আদি কৰি ভয়ঙ্কৰ বনৰীয়া জন্তু বধ কৰি আহিছিল, তালৈ চাই কুবলয় হাতী, চানুৰ-মুষ্টিক মাল, আৰু প্ৰজাৰ শাও-খোৱা বিষয়া-কৰ্ম্মচাৰী আদিৰ সবল সহানুভূতিৰপৰা বঞ্চিত হোৱা কংস ৰজাৰ নিধন-সাধন শ্ৰীকৃষ্ণৰ হাতত একো আচৰিত কাৰ্য্য হোৱা নাই। ৰাজ্য জুৰি সকলোৱেই অন্তৰে অন্তৰে কংসৰ পতন বহু-কালৰেপৰা কামনা কৰি আহিছিল। সেই কাৰণে, সিবিলাকে কংসবধত পেটে-পেটে ভাল হে পাইছিল, আৰু ৰাম-কৃষ্ণৰ সহায় হবলৈ সাজু হৈ হে আছিল; আৰু সেয়ে পাকলাগি কংসনিধন কাৰ্য্য উজু কৰিছিল যে তাকো মানিব লগীয়া। নচেৎ, প্ৰবল প্ৰতাপী মথুৰাধিপতিৰ ৰাজকীয় সৈনিকবলৰ বিৰুদ্ধে লৰি কংসবধ নিৰ্ব্বিবাদে সাধন কৰাটো সুকঠিন কাম হলহেঁতেন।

(৪) ৰাজযোষিত আশ্বাস্য ভগবাঁল্লোকভাবনঃ।
যামাহুৰ্লৌকিকীং সংস্থাং হতানাং সমকাৰয়ৎ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৪ আধ্যা, ৩৩ শ্লোক।

(৫) মাতৰং পিতৰঞ্চৈব মোচয়িত্বাথ বন্ধনাৎ।
কৃষ্ণৰামৌ ববন্দাতে শিৰসাস্পৃশ্য পাদয়োঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৪ আধ্যা, ৩৪ শ্লোক।

উচুপি উচুপি কৃষ্ণৰ আগত বৰ্ণনা কৰিলে। তাৰ পাচত, দৈৱকীদেৱীয়ে কৃষ্ণাইক বুকুত সাবটি লৈ চকু-লো টুকি টুকি এই বুলি ঘনে ঘনে হেঁপাহৰ চুমা দিবলৈ ধৰিলে, "পোনা, আজি তই এই অভাগিনীৰ ভাগ্য প্ৰসন্ন কৰিলি, আজি মোৰ অন্তৰৰ সাতোটা সন্তান-বিয়োগৰ সাতকুৰা শোকৰ অগ্নি তই নুমুৱালিহি, আজি তই মোৰ মৰা শৰীৰত জীৱদান দিলিহি। সোণাই, মোক আকৌ তই অভাগিনী নকৰিবি; আকৌ মোৰ অন্তৰৰ নুমুৱা জুই নজ্বলাবি, এই জীৱদান দি আকৌ মোক জীয়াতু নকৰিবি, মোক এৰি আৰু তই কলৈকো আঁতৰি নাযাবি। নাযাবি দেই পোনা। —যাবি নে নাযাব ক।" এই বুলি দৈৱকীয়ে কৃষ্ণক বুকুত সাবটি ধৰি শিৰত ঘনে ঘনে সুঙিবলৈ ধৰিলে। এই অতুল মাতৃ-স্নেহত করুণ কৃষ্ণ-প্ৰাণ বিগলিত হল, তেওঁৰ হৃদয়ৰ ভক্তিৰস দুই চকুৰেদি দুধাৰি তুবৰিবনৰ নিয়ৰ-পানী যেনকৈ দুগালেদি বৈ-বৈ বাগৰিবলৈ ধৰিলে। শোকে-সন্তোষে বেজাৰে-আনন্দে খুন্দা মাৰি ধৰাত, কাষতে চিত্ৰাৰ্পিত যেন হৈ বসুদেৱ ৰ'লাগিল। এনে পিতৃ প্ৰেম আৰু মাতৃ-স্নেহেৰে আপ্লুত হৈ আজন্ম ধৰ্ম্মতত্ত্বজ্ঞ শ্ৰীকৃষ্ণই উদাৰভাৱে এইবুলি নীতিগৰ্ভ সান্ত্বনাৰ বুজনি দিলে, "হে পিতৃ! হে মাতৃ! বৃদ্ধ পিতৃ-মাতৃ, সাধ্বী পত্নী, শিশু-সন্তান, গুৰু, ব্ৰাহ্মণ, শৰণাগত কাতৰ জনপ্ৰাণী ইত্যাদিৰ পোহ-পাল আৰু সুখ-সন্তোষ বৰ্দ্ধনলৈ সামৰ্থ্য থকাৰ স্বত্বতো তদৰ্থে যিজন কাতৰ হয়, সেইজনৰ পক্ষে মানৱ জীৱনধাৰণ কৰাটো মৰণতকৈ কোনো গুণে উত্তম নহয়[১]।" তাৰ পাচত, তেওঁ আবেগৰ বেগত মাকক ততালিকে এইবুলি সমিচাৰ দিলে, "নাযাওঁ আই, তোমাক এৰি আৰু মই আঁতৰি নাযাওঁ।" পুত্ৰৰ মুখৰ সেই মউসনা কথা দুটি শুনি দৈৱকী-বসুদেৱে যেন স্বৰ্গ চুকি পালে, সিবিলাকৰ হিয়াত আনন্দে নধৰা হল[২]।

তাৰ পাচত, শ্ৰীকৃষ্ণ বুঢ়াৰজা মাতামহ উগ্ৰসেনৰ ওচৰ চাপিলগৈ। তেওঁক যথাবিধি পুনৰপি মথুৰাৰ শূন্য সিংহাসনত বহুৱাই ৰজা পাতিবলৈ শ্ৰীকৃষ্ণই প্ৰস্তাৱ কৰিলেগৈ। পোনতে, মনৰ ধিক্কাৰত বৃদ্ধৰজা উগ্ৰসেনে পুনঃ ৰাজপাটত বহিবলৈ অস্বীকাৰ কৰিছিল, আৰু তেতিয়া তেওঁ এই যুক্তি দেখুৱাইছিল যে, সেই সিংহাসনত তেওঁৰ আৰু হক নাই, তাৰ ওপৰত সম্পূৰ্ণ অধিকাৰ কৃষ্ণৰ হে। কিয়নো, পূৰ্ব্বাপৰ প্ৰচলিত ৰাজনীতি অনুসৰি, যি নিজ বাহুবলেৰে কোনো ৰজাক নিহত বা সিংহাসনচ্যুত কৰে, তেওঁহে সেই ৰজাৰ শূন্য সিংহাসন পূৰ্ণ কৰা বিধেয়। এতেকে, কংসবধৰ পাচত, মথুৰাৰ ৰাজপাটত বহিবৰ বাব কৃষ্ণৰ হে, তেওঁৰ বা আন কাৰো নহয়। কিন্তু, শ্ৰীকৃষ্ণৰ ওলটাযুক্তিয়ে উগ্ৰসেনৰ সেই যুক্তি কাটি ওফৰাই পঠিয়ালে। কিয়নো, ভগা-ৰজা উগ্ৰসেনক পুতেক কংসই অন্যায়কৈ ৰজা ভাঙি বন্দী কৰি থৈছিল, আৰু সেইবাবে কংসৰ ঘোৰ পাপ হৈছে, এতিয়া পিতৃ-ৰজাই পুনঃ সিংহাসন গ্ৰহণ নকৰে যদি, পৰলোকগত পুত্ৰ ৰজা নৰকগামী হব। তাৰ উপৰিও, ভোজফৈদৰ যাদৱ ৰজা বা কোৱঁৰৰ বৰ্ত্তমানে মথুৰাৰ ৰাজ-সিংহাসনত আন ফৈদৰ, বিশেষকৈ বৃষ্ণি ফৈদীয়া যাদৱ কোৱঁৰৰ যুক্তিসঙ্গত হক থাকিব নোৱাৰে। সেইটো বহুপূৰ্ব্বৰ পিতৃপুৰুষ যযাতি ৰজাৰ শাওপাতৰ ফল।[৩] এতেকে, ভোজবংশৰ ৰজা স্বয়ং উগ্ৰসেন বৰ্ত্তমান থাকোঁতে বৃষ্ণি ফৈদৰ যাদৱ কোৱঁৰ শ্ৰীকৃষ্ণ সেই ৰাজপাটত বহিলে সি ৰাজনীতি বিগৰ্হিত কৰ্ম্ম হব।[৪] ৰাজনীতিজ্ঞ ধৰ্ম্মাত্মা

---

(১) মাতৰং পিতৰং বৃদ্ধং সাধ্বীং ভাৰ্য্যাং সুতং শিশুং।
গুৰুং বিপ্ৰং প্ৰপন্নঞ্চ কল্যোহবিভ্ৰচ্ছ্বসন্মৃতঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৫ আধ্যা, ৭ শ্লোক।

(২) (ক) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৫ আধ্যা।
(খ) ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ, কৃষ্ণজন্মখণ্ড, ১৮২ পৰিচ্ছেদ।

(৩) এবমাশ্বস্য পিতৰৌ ভগবান্ দেৱকীসুতঃ।
মাতামহংতুগ্ৰসেনং যদুনামকৰোন্নৃপং॥
আহচাস্মান্মহাৰাজ প্ৰকাস্ত্বাজ্ঞপ্তুমৰ্হসি।
যযাতিশাপাদ্যদুভিৰ্ণাসিতব্যং নৃপাসনে॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৫ আধ্যা, ১০—১১ শ্লোক।

(৪) কিন্তু, প্ৰকৃতপক্ষে বৃষ্ণি ফৈদৰ যাদৱ কোৱঁৰ সকলে হে মথুৰাৰ ৰাজপাট খাইছিল। পিচে, মাজতে সেই ফৈদৰ ৰাজযোগ্য কোৱঁৰৰ অভাৱ হোৱাত, কুমাৰী ৰাজ পাটত বহে। তেতিয়াৰপৰা জীয়াৰীৰ ফালৰ কোৱঁৰ ৰজা হবলৈ ধৰিলে। আৰু, সেই আপাহতে ভোজ ফৈদীয়া উগ্ৰসেন মথুৰাৰ অধিপতি হয়।

শ্ৰীকৃষ্ণৰ নীতিগৰ্ভ যুক্তিত বুঢ়া ৰজা উগ্ৰসেন অগত্যা সৈমান হব লগাত পৰিল, তেওঁ মথুৰাৰ ৰাজসিংহাসন পুনঃ গ্ৰহণ কৰি শ্ৰীকৃষ্ণক যুবৰাজ পাতিবলৈ প্ৰস্তাব কৰিলে। সেই সুব্যৱস্থাত সদৌ মথুৰাবাসী পৰিতুষ্ট হল, আৰু সকলোৱে মুখে মুখে শ্ৰীকৃষ্ণৰ উদাৰ ৰাজনীতি-ধৰ্ম্ম শলাগিবলৈ ধৰিলে। কিন্তু বাসুদেৱে সেই প্ৰস্তাৱ বিনীতভাৱে প্ৰত্যাহাৰ কৰি, কংসৰাজৰ পুত্ৰ এজনক হে যুবৰাজ মনোনীত কৰিলে।

কংসই ভঙ্গা তেওঁৰ পিতৃ-ৰজাক পুনঃ মথুৰাৰ ৰাজসিংহাসনত বহুৱাই উঠি, ধনুৰ্ম্মখ উৎসৱলৈ নিমন্ত্ৰিত হৈ অহা ৰাজ-ৰাজোৱাৰ সকলক বিদায় দিবলৈ কেইদিনমান পলম কৰি, সিবিলাকৰ বৰ্ত্তমানতে শ্ৰীকৃষ্ণই পৰলোকগত কংস ৰজাৰ শ্ৰাদ্ধাদি ক্ৰিয়া মথুৰাধিপতি মহাৰাজৰ যোগ্য মহা আড়ম্বৰেৰে আৰু নিয়াৰিকৈ সম্পাদন কৰিলে। তাৰ পাচত, সেই সমবেত ৰাজন্যবৰ্গৰ সাক্ষাতে কংসৰ বৰপুত্ৰক যুৱৰাজৰ বাব শোধাই দি, শ্ৰীকৃষ্ণ নিজে এজন সাধাৰণ যাদৱ কোৰঁৰ হৈ থাকিল। এনে অসাধাৰণ ত্যাগ আৰু অপূৰ্ব্ব ৰাজনৈতিক লক্ষণলৈ লক্ষ্য কৰি, ব্ৰজবাসীৰ দৰেই, সদৌ মথুৰাবাসীয়েও শ্ৰীকৃষ্ণৰ প্ৰতি এটা অলৌকিক ভাব অলক্ষিতে অন্তৰস্থ কৰিলে, আৰু নানা দেশৰপৰা অহা সমবেত ৰাজন্যবৰ্গেও তেনে এটা ভাব অযাচিতে মনত লৈ স্ব স্ব স্থানলৈ প্ৰত্যাগমন কৰিলে।

শোকাকুল কংস-পৰিয়ালক সান্ত্বনা দি উঠি, নিজ পিতৃমাতৃক সেৱা-সৎকাৰেৰে আৰু বিবিধ বুজনিৰে সৈতে আশ্বাস দি, বৃদ্ধৰাজ মাতামহ উগ্ৰসেনক পুনৰপি ৰাজপাটত তুলি, নিহত কৃষ্ণাৰি কংস ৰজাৰ বৰপুত্ৰক যুৱৰাজ পাতি, ধনুৰ্ম্মখলৈ আহূত সমবেত ৰাজন্যবৰ্গক যথা-সমাদৰেৰে স্ব-স্বস্থানলৈ বিদায় দি উঠি, কংসৰ অত্যাচাৰত ঠাৱৰিব নোৱাৰি নানা দিগ্‌দিগন্তৰ গৈ থিতাপি হৈ থকা যদু, বৃষ্ণি, অন্ধক, মধু, দাশাৰ্হ, কুকুৰ এইবোৰ ফৈদীয়া যাদৱ কোৰঁৰসকলক সপৰিয়ালে চপাই অনাই[১], যদুমণি শ্ৰীকৃষ্ণই মথুৰাত কংসনিপীড়িত প্ৰজাবৰ্গ সমন্বিতে যাদৱসকলৰ সুখ-সমৃদ্ধি বঢ়াবলৈ আৰু ৰাজ্যত শান্তি স্থাপিবলৈ সুস্থিৰ চিত্তেৰে মনস্থ কৰিলে।

তৃতীয় আধ্যা

প্ৰথম ছেদ

নন্দ-বিদায়

কংস ৰজাৰ ধনুৰ্ম্মখ উপলক্ষীয় নিমন্ত্ৰণ ৰক্ষাৰ্থে আহি মথুৰাত সমবেত হোৱা ভিন্ ভিন্ দেশ-প্ৰদেশৰ ৰজা আৰু দেশাধিকাৰসকলে বিদায় লৈ মথুৰা এৰি যোৱাৰ পাচত, নন্দ-বিদায়ৰ উথপথপ্ লাগিল। গোপ আৰু গৰখীয়াবন্দে বৃন্দাবনলৈ উলটি যাবৰ অৰ্থে বৰকৈ উচ্‌পিচাবলৈ ধৰা দেখি, নন্দৰাজে ৰাম-কৃষ্ণক মতাই আনি এই বুলি কলে, "বোপাহঁত! ভিন্ ভিন্ দেশৰপৰা যজ্ঞোৎসৱলৈ অহা ৰাজ ৰাজোৱাৰ সকলোৱেই স্ব-স্ব স্থানলৈ প্ৰত্যাগমন কৰিলে; বাকী আছোঁগৈ আমি হে। আমাৰো লগৰীয়া যাত্ৰীসকলে স্বস্থানলৈ উলটি যাবলৈ বৰকৈ উচ্‌পিচাব লাগিছে। এতেকে, বলাঁইক আমিও বৃন্দাবনলৈ উলটি যাওঁগৈ, ইয়াত পলম কৰাৰ আৰু সকাম নাই।" দোধোৰমোৰত পৰি কৃষ্ণই অলপ পৰ টলকা মাৰি বৈ গুণি গাঁথি এই সমিচাৰ দিলে, "সকাম আৰু আছে পিতা! ইয়াত ৰাজ-পৰিয়াল অতিকৈ শোকাকুল হৈছে। আমাৰ অন্যতম পিতা বসুদেৱকো বৰ শোকাতুৰ দেখিছোঁ। বিশেষকৈ, মোৰ অপৰ মাতৃ দৈৱকী দেৱী শোকত অতিকৈ অধীৰা হৈ পৰিছে। তাৰ উপৰিও, কংসৰাজ মোৰ হাতত নিধন হোৱাত সম্প্ৰতি আমাৰ জ্ঞাতি যাদৱ ৰাজবংশত বিষম বেমেজালি ঘটিবৰ আগন্তুক মিলিছে। সেই কাৰণে আমি, ঘাইকৈ মই মথুৰাত কিছুমান দিন থাকি যাব লগাত পৰিছোঁ। বিশেষ মই মাতৃ দৈৱকীদেৱীৰ ওচৰত এইমাত্ৰ 'থাকিম'

(১) সৰ্ব্বান্ স্বজ্ঞাতিসম্বন্ধান্ দিগ্‌ভ্যঃ
কংসভয়াদ্‌গতান্।
যদুবৃষ্ণ্যন্ধকমধুদাশাৰ্হ কুকুৰাদিকান্॥
সভাজিতান্ সমানায্য বিদেশাবাসকৰ্ষিতান।
ন্যবাসয়ৎ স্বগৃহেষু বিত্তৈঃ সন্তৰ্প্য বিশ্বকৃৎ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৫ আধ্যা, ১৩ শ্লোক।

বুলি অঙ্গীকাৰ কৰি আহিছোঁ। এতেকে, পিতা! আপুনি আমাৰ বৃন্দাবনৰ সহযাত্ৰীবৰ্গক লৈ আগবাঢ়ক, আমি পিচতে গৈছোঁহঁক।" কৃষ্ণৰ মুখৰপৰা এই নিকৰুণ বাণী শুনি নন্দ অবাক্। তেওঁ চৰগপৰা মানুহৰদৰে ঠৰ লাগিল। অলপ পাচত, হুঁচ্ পাই, "হা কৃষ্ণ কি কৰ" বুলি বতাহত উভলা গছৰদৰে নন্দ ধঁাচ্‌কৰে মাটিত পৰি মূৰ্চ্ছা গল। ৰাম-কৃষ্ণ বিচুৰ্ত্তি হল। দুয়ো লৰালৰিকৈ আথে-বেথে পিতাকক মাটিৰপৰা দাঙ্গি ধৰি সেৱা-শুশ্ৰূষা কৰিবলৈ ধৰিলে।

তাৰ পাচত, সংজ্ঞা পাই নন্দৰাজে সামান্য তিৰোতাৰ দৰে চিয়ঁৰি চিয়ঁৰি বিনাবলৈ ধৰিলে। তাৰো পাচত, তেওঁ কান্দি কান্দি কৃষ্ণক সাবটি ধৰি এইবুলি চুনাই বুজাবলৈ ধৰিলে, "মোৰ জীউ, তই মোক এনে কথা নকবি, মই তোক থৈ অকলে কেনেকৈ উলটিম। তোক এৰি মোৰ এইঠাই এৰিবৰ সাধ্য নাই, নাইবামই ইযাতে মৰিম। মোক মৰামুছা অৱস্থাতে কোনোবাই নি বৃন্দাবন পোৱালেগৈও, লগত তোক নেদেখিলে তোৰ অভাগিনী মাতৃ থিতাতে পৰি মৰিব। ৰামৰ বিহনে ৰোহিণীদেৱী একেবাৰে মৰণান্তিক হব। তইতৰ বিৰহত বৃন্দাবনৰ গোপিনীবৰ্গ এতিয়াই শোকত অধীৰা হৈ আছে, তেতিয়া সিবিলাক উন্মাদিনীৰদৰে হব। তইতৰ বিহনে গোপ গৰখীয়াবৃন্দক কোনে বুজাই ৰাখিব পাৰিব। কৃষ্ণশূন্য বৃন্দাবন এতিয়াই জঁয পৰি ৰৈছে, তেতিয়া যে তাৰ জেউতি সমূলঞ্চে নাশ হব। এতেকে, মোৰ বাছাধন। তই ইফাল সিফাল নকৰি সোনকালে ওলাঁ, যাওঁগৈ বলহঁক।" এই বুলি ব্ৰজেশ্বৰ নন্দৰাজে উচুপি উচুপি কান্দিবলৈ ধৰিলে। বিপদগহীন, অলপ-কথীযা, প্ৰশান্তমূৰ্ত্তি বলৰাম নীৰৱে নিঃশবদে সেই দৃশ্যৰপৰা আঁতৰ হল। কৃষ্ণ অকলে সেই অথাই আপদত পৰিল।[১]

শ্ৰীকৃষ্ণই পিতাক নন্দৰাজক বুজনি দি শান্ত কৰিবলৈ পুনৰপি যত্ন কৰিলে। এইবাৰ অকলশৰে পাই তেওঁ পিতাকক আধ্যাত্মিক তত্ত্বজ্ঞানৰ বুজনিৰে সৈতে সৈমান কৰিবলৈ উপায় চিন্তিলে। সামাজিক, ৰাজনীতিক আৰু আধ্যাত্মিক জ্ঞানৰ স্বাভাবিক নিজৰা শ্ৰীকৃষ্ণই পিতাক নন্দক আকৌ এই বুলি বুজাবলৈ ধৰিলে, "পিতা, তুমি এইদৰে অনৰ্থক কিয় বেজাৰ কৰিছা? বাস্তৱতে, এই বেজাৰৰ একো অৰ্থ নাই। পিতা, নাজানাঁ, তুমি কাৰ, কোন্ তোমাৰ। মই তোমাৰ পুত্ৰ নহওঁ, তুমি মোৰ পিতা নোহোৱাঁ। বসুদেৱে মোক পুত্ৰ বোলাও মিছা, মই তেওঁক পিতা বোলাও মিছা। আমি সকলো এক পৰমপিতাৰ হে পুত্ৰ। তোমালোক দুই আৰু মই মাথোন সংসাৰী পিতা পুত্ৰৰ নিমিত্তকাৰণ। আমি প্ৰত্যেকেই সেই পৰমপিতা পৰমেশ্বৰৰ আংশিক ঈশ্বৰ, তেওঁৰে অতি ক্ষুদ্ৰাদপি ক্ষুদ্ৰ একোকলা আমি। সেই অনন্ত পৰমাত্মাৰেই আমি একো-একোটি জীৱাত্মা মাথোন। যি জীৱাত্মাত পৰমাত্মাৰ মাত্ৰা যিমান বেচি, সি পৰমাত্মা পৰমেশ্বৰৰ সিমান সমকক্ষ। সেই গুণেই জগতত, এই পৃথিৱীত ঈশ্বৰৰ সৃষ্ট পদাৰ্থত হীন ডেটি দেখা যায়। যি জীৱাত্মাত পৰমাত্মাৰ পৰিমাণ যিমান বেচি, তেওঁ পূৰ্ণ মনুষ্যত্বৰ সিমান ওচৰ। তেওঁৰ কৰ্ত্তব্য অলেখ, অসীম, অনাযত। মানুহৰ কৰ্ত্তব্য অনুযাযী হে কৰম, আৰু সেই অনুপাতে হে ধৰম। এতেকে, পিতা, মোৰ কৰ্ত্তব্য মই কৰিব লাগে, তোমাৰ কৰ্ত্তব্য তুমি কৰিবগৈ লাগে। অনৰ্থক খেদ কৰি সময় নষ্ট কৰাত পাপ হে আছে। মই যে আজীৱন বৃন্দাবনতে থাকিব লাগিব তাৰ কোনো অৰ্থ নাই। পিতা, তোমাতো সেযে ফলিয়ায়, অন্ততো সেয়ে ফলিয়াব, তাৰ প্ৰমাণ চোন হাততে,—ব্ৰজ গোকুল এৰি বৃন্দাবনলৈ আমি কিয় আহিছিলোঁহঁক? মোৰ বৃন্দাবনৰ কৰ্ত্তব্য অন্তপ্ৰায় হৈছে, এতিয়া মথুৰাৰ কৰ্ত্তব্যৰ পাল পৰিছে। ইয়াতো নিগাজী নহওঁ, ইয়াৰপৰা বা কেতিয়া কাৰ কৰ্ত্তব্য সাধিবগৈ লাগিব তাৰ কি ঠিক আছে! এতেকে, পিতা, পলম নকৰি বৃন্দাবনলৈ উলটি যোৱাঁগৈ। তাত তোমাৰ কৰ্ত্তব্য বহুত। ইয়াত পলম কৰি তাত বিঘ্ন জন্মালে পাপ হব। এতেকে, পিতা, মনৰপৰা অসাৰ শোক-সন্তাপ বাজ কৰি এতিয়া যোৱাঁগৈ, বৃন্দাবনৰ

(১) ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ, কৃষ্ণজন্মখণ্ড, ১৮৩ পৰিচ্ছেদ

কৰ্ত্তব্যত এতিয়া ধৰাঁগৈ। মাতৃ যশোদাদেৱীক মোৰ মিনতি জনাই বুজাই কৰাঁগৈ যে, ইয়াত মোৰ কৰ্ত্তব্য সাধন হোৱাৰ পাচত মই আকৌ বৃন্দাবন পামগৈ, আকৌ মই মাতৃ যশোদাৰ কোলাত বহি তেওঁৰ মৰমৰ চুমা লমগৈ। গোপিনীসকল, গৰখীয়া ল'ৰা-ছোৱালীবৃন্দ আৰু সদৌ বৃন্দাবনবাসীক বুজাই কৰাঁগৈ পিতা, মই আকৌ বৃন্দাবনলৈ যাম, আকৌ সিবিলাকৰ সুখ-সঙ্গ লাভ কৰিমগৈ।"

শ্ৰীকৃষ্ণৰ মুখে সেই সুগভীৰ তত্বজ্ঞানৰ [1] বুজনি পাই নন্দৰাজ তবধ লাগিল। আগৰেপৰা, কৃষ্ণৰ চালুকীয়া কালৰেপৰা কৃষ্ণ-কথাত নন্দ মাজে মাজে তবধ লাগে। কৃষ্ণৰ কথা-বাৰ্ত্তা, চলন-ফুৰণ, স্বভাৱ-চৰিত্ৰত আগৰেপৰা নন্দৰ প্ৰগাঢ় ভক্তি, তেওঁৰ সেই ভক্তি বিস্ময়-মিহলি, আৰু সেই বাবেই তেওঁ অন্তৰে-অন্তৰে শ্ৰীকৃষ্ণৰ অলৌকিকতাত ঈশ্বৰত্ব নিৰীক্ষণ কৰে। এতিয়া যৌৱনত ভৰি দিবলৈ ধৰা শ্ৰীকৃষ্ণৰ মুখৰপৰা ওপৰত কোৱা গভীৰ তত্বজ্ঞানৰ বিশদতৰ ব্যাখ্যা পাই সেই পুতেক কৃষ্ণৰ প্ৰতি নন্দই তন্ময় হৈ চাবলৈ ধৰিলে। তাৰ পাচত, তেওঁ আকৌ এই বুলি এটা প্ৰশ্ন কৰিলে, "তেন্তে নো মই তোমাক এৰি যাব নোৱাৰা হৈছোঁ কিয় ? তুমি আগত থাকিলে মই জগতখন ফৰফাল দেখোঁ, আৰু তোমাৰ অবিহনে অন্ধকাৰ দেখোঁ কিয় ? এই সমস্যাৰ তত্ব বুজি নাপাওঁ! ময়ো যদি পৰমাত্মাৰ অংশ হওঁ, তেন্তে নো মোৰ মনত তোমাৰে সৈতে এতিয়া বিচ্ছেদভাব আহে কিয় ?" শ্ৰীকৃষ্ণই হাঁহি হাঁহি এই বুলি উত্তৰ দিলে, "পিতা, ইয়াকে বোলে মায়া। এই মায়াই সৃষ্টিৰ সৌন্দৰ্য্য। এয়ে নহলে পৃথিবীখন লঠামুৰা এচপৰা মাটি মাথোন। এই মায়াতে মজি মানুহে 'নিজৰ মন যেনে, সংসাৰখনকো দেখে তেনে।' এটা কথালৈ মনকৰাঁচোন পিতা, আমি যেতিয়া ঘূৰি ঘূৰি পাকঘূৰণি খাওঁ, তেতিয়া ঘূৰ ঘূৰণিৰ লগে লগে পৰ্ব্বত, নৈ, গছ, ঘৰ, জীৱ, জন্তু সকলো ঘূৰা যেন দেখোঁ; কিন্তু প্ৰকৃততে সেইবোৰ নুঘূৰে, আমাৰ মূৰ হে ঘূৰে। সেই নিয়মেই পৰমাত্মা নুঘূৰে, ঘূৰে জীৱাত্মা হে। পৰমাত্মা একে ঠাইতে স্থিৰে আছে, জীৱাত্মাই বিবিধ জন্ম ধৰি ঘূৰিব লাগিছে। গতিকে, জীৱাত্মা নিজে স্থিৰ থাকিলেই সকলো স্থিৰে থাকে। আপোন-পৰ ভাবৰো মূল ইয়াতে। এতেকে, পিতা, নিজে নিজৰ মন স্থিৰ কৰি উলটি বৃন্দাবনলৈ গৈ কৰ্ত্তব্যত মনোনিবেশ কৰাঁগৈ, সকলো মনোময় দেখিবাঁগৈ।"—

এইবাৰ কিস্তিমাত! নন্দ একেবাৰে নিমাত। শেহান্তৰত তেওঁ অগত্যা বৃন্দাবনলৈ উলটিবলৈ মান্তি হৈ, এই বুলি সমিচাৰ দিলে, "বাৰু, তেন্তে সম্প্ৰতিকলৈ তোমাক ইয়াতে এৰি যাওঁ, কিন্তু মই তোমাৰ মাৰা যশোমতীক সান্ত্বনা দিবগৈ যে পাৰিম এনে আশা কৰা নাই; মোক অকলে উলটি যোৱা দেখিলে তেওঁ উন্মাউল দিব। ব্ৰজৰ গোপিনী আৰু গৰখীয়া ল'ৰা-ছোৱালীক বুজোৱাৰ বাব লোৱাটোও মোৰ পক্ষে বিড়ম্বনা মাত্ৰ হব।" এই বুলি নন্দ নীৰব হল। কৃষ্ণই পিতাকক অন্তত সৈমান হোৱা দেখি হৰিষ মনেৰে এই বুলি সামৰণিৰ সমিচাৰ দিলে, "বাৰু, পিতা, সেই উদ্দেশ্যে মই মোৰ বান্ধৱ উদ্ধৱক [2] পঠিয়াম; মোৰ বিশ্বাস, তেওঁ বৃন্দাবনত মোৰ উপযুক্ত প্ৰতিনিধিৰ কাৰ্য্য কৰিবগৈ পাৰিব।"

শ্ৰীকৃষ্ণই অকাট্য যুক্তিৰে সৈতে বুজাই নন্দক নীৰৱ কৰি ঢুখোজ ওলটোতেই তেওঁক গৰখীয়া পালিয়ে পালেহি! আগন্তুক বিৰহবেদনাত কন্দনামুৱা গৰখীয়াদলৰ হৈ সিবিলাকৰ মাজৰ বৰ গৰখীয়া শ্ৰীদামে চকু-লো টুকি টুকি শ্ৰীকৃষ্ণত এই মিনতি জনালে, যেন তেওঁ মথুৰাত নৈ গৈ গৰখীয়াবৃন্দক অনাথ কৰি বৃন্দাবনলৈ বিদায় নিদিয়ে। কৃষ্ণ যদি সিবিলাকৰ লগতে নোলটে, তেন্তে গৰখীয়াদলে

---

(১) ব্ৰহ্মবৈবৰ্ত্তপুৰাণ, কৃষ্ণজন্মখণ্ড, ১৮৩ পৰিচ্ছেদ।

(২) বৃষ্ণীনাং সম্মাতো মন্ত্ৰী কৃষ্ণস্য দায়িতঃ সখা।
শিষ্যো বৃহস্পতেঃ সক্ষাদুদ্ধৱো বুদ্ধিসত্তমঃ॥

অৰ্থ:—শ্ৰীকৃষ্ণৰ একান্ত ভক্ত আৰু প্ৰিয়বন্ধু উদ্ধৱ এজন বুদ্ধিমান্ ব্যক্তি, তেওঁ সাক্ষাৎ বৃহস্পতিৰ শিষ্য যেন পণ্ডিত, আৰু বৃষ্ণিকৌৰৱগণৰ মনোনীত মন্ত্ৰী।

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৬ আধ্যা, ১ম শ্লোক।

যমুনাৰ সিপাৰ নহওঁ বুলিছে, সিবিলাকে মথুৰাতে ইনাই-বিনাই বৈ যাব—এই পালিহে পালি। শ্ৰীকৃষ্ণক এই পালিয়েহে টলাবলৈ ধৰিলে। শ্ৰীদামক নো এতিয়া কি সমিচাৰ দিব, তেওঁ ভাবি নোপোৱা হল। কোনো পাৰে পাৰ নাপাই শ্ৰীকৃষ্ণ উপস্থিত সমস্যাৰ মাজতে দৰক্ লাগিল। কিন্তু, পলমে বিঘিনিহে মাতে, এই ভাবি প্ৰত্যুৎপন্নমতি বুদ্ধিস্বৰ্গ শ্ৰীকৃষ্ণই ততালিকে সেই সমস্যা সাঁতুৰি পাৰ হবলৈ চিন্তা কৰিলে। তেওঁ পোনেই প্ৰত্যেকটি গৰখীয়া লগৰীয়াক ডিঙিত ধৰি ধৰি একোটি চুমা দি লৈ, সিবিলাকক সমজুৱাকৈ এই বুলি বুজাবলৈ ধৰিলে, "লগৰীয়াইঁত। তোমালোকে দুদিনলৈ মোক লগ এৰা দিবলৈ ইমান টান পাইছাঁইক কিয়? মই অলপ দিনলৈ মাথোন ইয়াত থাকিম, ইয়াত কৰিবলগীয়া মোৰ কাম সমাধা হলেই মই আকৌ আমাৰ বৃন্দাবনলৈ ওলামগৈ বুলিছোঁ নহয়? এই কথাত পিতা গোপৰাজ মান্তি হৈছে, তোমালোকে নো মান্তি নহবাঁ কিয়?" গৰখীয়াদলে ততালিকে এই বুলি উত্তৰ কাটিলে, "দুদিনমানলৈহে যদি, আমিও বৈ যাওঁচোন, তোমাৰ কাম কৰা হৈ উঠিলে একেলগে উলটিমইক।" কৃষ্ণই এই বুলি প্ৰত্যুত্তৰ দিলে, "নহয়, তোমালোক ইয়াত বৈ গলে, মোৰ কাম নিয়াৰিকৈ সিদ্ধ নহব, কিয়নো, তেতিয়া মই নিশ্চিন্ত মনেৰে কাম চম্ভালিব নোৱাৰিম। ইয়াৰ কাম আমাৰ বৃন্দাবনৰ কামৰ নিচিনা নহয়। ইয়াত ৰাজনীতিৰ খলা-বমা ভেঁটিৰ ওপৰত ঘৰ সাজিব লগা হৈছে, সি আমাৰ নিমজ গোকুল বৃন্দাবনৰ ঘাঁহনিৰ ওপৰত সজা মাটি-টঙি ঘৰ নহয়। বৃন্দাবনত মই দৈত্য, অসুৰ সদৃশ বনজন্তু আৰু অসভ্য বনমানুহৰ লগত গাৰ বলেৰে লৰিব লগাত পৰিছিলোঁ, ইয়াত সুসভ্য আৰু সুশিক্ষিত লোকৰ লগত বুদ্ধিৰ বলেৰে যুঁজিব লগা হৈছে। সম্প্ৰতি সেই যুঁজৰ নিমিত্তে তোমালোকক সাজু নৌ কৰোঁ এথোন; যেতিয়া আৱশ্যক বুজি সাজু কৰি তুলিম, তেতিয়া নিশ্চয় মোৰ গা পাবাহিঁইক। এই বিষয়ে এতিয়া বহলাই নকওঁ এথোন, বৃন্দাবনত গৈ আলচ পাতিমগৈইক। এতেকে, মোৰ চেনেহৰ লগৰীয়াইঁত, তোমালোক ৰং মনেৰে পিতাৰ লগতে বৃন্দাবনলৈ উলটি যোৱাঁগৈ। বৃন্দাবনত গৈ মোৰ হৈ মোৰ চেনেহৰ আই যশোদা আৰু মাতৃ ৰোহিণী দেৱীক সান্ত্বনা দিয়াঁগৈইক। মোৰ মৰমৰ গোপিনী ছোৱালীবৃন্দক মোৰ মৰম চেনেহ বিলোৱাঁগৈইক। মোক প্ৰাণে সৈতে ভাল-পোৱা ব্ৰজগোপিনীসকলক মোৰ সাদৰ জনোৱাঁগৈইক। অতি আদৰুৱা গাই পোৱালিবোৰক কুমলীয়া ঘাঁহনি চাই চাই চৰোৱাঁগৈইক। মোৰ হেঁপাহৰ ৰাসমঞ্চ, গৰখীয়াদোল, লতাকুঞ্জ, কালিন্দীপাৰ, গোবৰ্দ্ধনগিৰি আদি বৃন্দাবনৰ পুণ্যস্থানবোৰত বিহাৰ কৰি মোৰ বাল্যলীলাৰ স্মৃতি ৰক্ষা কৰাঁগৈইক।" এই বুলি কৃষ্ণদেৱ নীৰৱ হল, গৰখীয়াদলে উচুপি উচুপি কান্দিবলৈ ধৰিলে। কৃষ্ণই নিৰুপায় হৈ আকৌ মাত লগালে, "তেনেহলে তোমালোকে মোৰ বুজনি নামানাঁ আৰু নিৰুপায় অৱস্থাত মোক উপায় নিদিয়াঁ? মই আকৌ বৃন্দাবনলৈ যাম বুলিছোঁ নহয়। তোমালোক আগবাঢ়াঁ, মই পিচতে গৈছোঁ। নাকান্দিবাঁ-ইক, তোমালোকক কন্দা দেখিলে মোৰো কান্দোন ওলায় নহয়। মোকচোন তোমালোকে আগেয়ে কেতিয়াও কন্দুৱা নাই। আহাঁইক, আমি ৰং মনেৰে বিদায় লোৱালুই। কৰোঁ।" এই যুক্তিযুত আক্ষেপসূচক করুণ অনুৰোধত মেৰখাই মাতিব নোৱাৰি গৰখীয়াদলে বাহিৰে ৰং-মুৱা হৈ শ্ৰীকৃষ্ণৰ ওচৰত অগত্যা বিদায় ললে।

চতুৰ্থ আধ্যা

উদ্ধৱ-সংবাদ

কৰ্তব্যৰ দায়ত পৰি বাধ্য হৈ শ্ৰীকৃষ্ণই চেনেহৰ পিতা-দেৱেক নন্দৰাজ আৰু মৰমৰ লগৰীয়া গৰখীয়াদলক বিস্তৰ বুজাই-বৰাই বিদায় দিলে। কিন্তু, সিবিলাক আঁতৰ হোৱা মাত্ৰে তেওঁ অকলশৰীয়া হৈ বিৰহ-বেদনাত অস্থিৰ হৈ পৰিল। তেওঁ নন্দৰাজ, শ্ৰীৰাম আৰু গৰখীয়া দলক আগবঢ়াই থৈ, যমুনাৰ ইপাৰৰপৰা চকুৰে দেখালৈকে চাই থাকি, অন্তত থিয় হৈ ৰব নোৱাৰি বান্ধৱ উদ্ধৱৰ কান্ধত ঢলি পৰিল। তাৰপৰা উদ্ধৱে কৃষ্ণক ধৰি ধৰি নি এজোপা

ৰবগছৰ ছাত বহুৱালৈগে। তাতে কৃষ্ণদেৱে উদ্ধৱৰ ভিঙ্গিত ওলমি পৰি হৃদয়-বিদৰোৱা বিলাপ কৰিবলৈ ধৰিলে। সৰল প্ৰাণৰ পিতাক নন্দ আৰু প্ৰাণৰ লগৰী গৰখীয়াদলক ভুৱা দি অনাদি আনি আকৌ ভুৱা দি বিচ্ছেদ কৰি ওলটাই পঠিয়াই অনুতাপত তেওঁৰ প্ৰাণ কেনেকৈ দগ্ধ হৈছিল, কৃষ্ণই সেই বিষয়ে বান্ধৱ উদ্ধৱৰ আগত ইনাই-বিনাই কবলৈ ধৰিলে। ইবিলাক যেতিয়া উলটি বৃন্দাবন পাবগৈ, তেতিয়া নো লগত কৃষ্ণক নেদেখি চেনেহৰ মাক যশোদাৰ কি গতি হব, বলাইক নেদেখি মৰমৰ মাতৃ ৰোহিণী দেৱীৰ নো কি বিলাই হব, সেই বিষয়ক অনুভৱ বৰ্ণনা কৰি কৃষ্ণই ঘনে ঘনে উদ্ধৱৰ কানত ঢলি ঢলি পৰিবলৈ ধৰিলে। উলটি যোৱা গৰখীয়াদলৰ মাজত যেতিয়া কৃষ্ণক দেখা নাপাব, তেতিয়া সৰলচিতীয়া গোপিনীসকল বাউলী হৈ পৰিব, সৰু সৰু অমায়িক গৰখীয়া ল'ৰা-ছোৱালীবৃন্দে কৃষ্ণক উলটি যোৱা নেদেখিলে যে কান্দি ব্যাকুল হব, সেইবোৰ মনৰ খেদ উদ্ধৱৰ আগত কৈ কৈ কৃষ্ণ শোকত বিহ্বল হৈ পৰিল। তাৰ পাচত, কৃষ্ণৰ বিলাপত বৃন্দাবনৰ সৌৰৱণীৰ বৰ্ণনা অন্ত নপৰাত পৰিল। উদ্ধৱে পাৰ্য্যমানে বুজনি দিও বান্ধৱ কৃষ্ণক সান্ত্বনা দিব নোৱাৰাত পৰিল। অতি কাতৰভাৱে ভক্তবন্ধু উদ্ধৱৰ কৰস্পৰ্শ কৰি অনুৰোধ কৰাত, উদ্ধৱে বাৰ্ত্তাবহ হৈ মথুৰাৰ বতৰা বৃন্দাবনত আৰু বৃন্দাবনৰ বতৰা মথুৰাত যোগাবলৈ গাত লোৱাত কৃষ্ণৰ উতলা প্ৰাণ অলপ শাঁত হল[১]। তাৰ পাচত, তেওঁ বৃন্দাবন-বিদায়কালত 'আকৌ আহিমগৈ' বোলা কথাৰে মনত কৰি বৃন্দাবন-বাসীৰ বিৰহবেদনাৰ বিষয়ে অনুভৱত বৰ্ণনা কৰিবলৈ ধৰিলে।[২]

পিচদিনা পুৱাতে ৰথত চৰি উদ্ধৱে নন্দ-গোকুললৈ যাত্ৰা কৰিলে।[৩] অক্ৰূৰক যি ৰথত যি সাৰথিয়ে যি বাটেদি নিছিল, সেই ৰথতে সেই সাৰথিয়ে সেই বাটে-দিয়েই উদ্ধৱকো বৃন্দাবনলৈ নিছিল। বৃন্দাবন সোমায়ে উদ্ধৱে দেখিলেগৈ যে, এটা সুপ্ৰকাণ্ড মনোৰম ঘাঁহনি-চাপৰিত সৰু-বৰ মিলি এদল গৰখীয়াই গৰু চৰাই আছে; কিন্তু সিবিলাকৰ দৃষ্টি সততে মথুৰাৰ ফালে। যি বাটেদি ৰাম-কৃষ্ণই মথুৰা-যাত্ৰা কৰিছিল, সততে সেই বাটৰ ফালে সিবিলাকৰ চকু। উদ্ধৱৰ ৰথ ওচৰ চপা দেখি গৰখীয়া-বৃন্দে উধাতু খাই লৰি আহি বেৰি ধৰিলেহি। সিবিলাকে দেখিলে যে, কৃষ্ণক নিবলৈ অহাখন ৰথেই এইখন ৰথ; আৰু সেই সাৰথিয়েই এই সাৰথি। আৰোহীজনো সাক্ষাৎ কানাই যেন, মাথোন লগত বলাই নাই। গৰখীয়া-ৰজা প্ৰাণকৃষ্ণ সঁচাকৈয়ে উলটি আহিছে যেন ভাবি, সিবিলাকে 'হাঁ কৃষ্ণ হাঁ কৃষ্ণ' বুলি ৰথৰ ওপৰতে উদ্ধৱক আগুৰি ধৰিলেগৈ। উদ্ধৱ কৃষ্ণ-বৰণীয়া, কৃষ্ণ-গঢ়ীয়া, কৃষ্ণ-সমনীয়া এজন অতি সুশ্ৰী পুৰুষ, গতিকে, মনৰ বেগত তেওঁকে স্বয়ং কৃষ্ণ ভাবি গৰখীয়াবৃন্দে সাবটি ধৰিলেগৈ। মৰ্ম্মস্পৰ্শী দৃশ্যে সাধু উদ্ধৱৰ নিৰ্ম্মল অন্তৰ করুণ

---

(১) (ক) তমাহ ভগবান প্ৰেষ্ঠং ভক্তমেকান্তিনং ক্বচিৎ।
গৃহীত্বা পাণিনা পাণিং প্ৰপন্নাৰ্ত্তিহৰো হৰিঃ॥

অৰ্থ:—সেই পৰম প্ৰিয় একান্ত ভক্ত উদ্ধৱক এদিন নিজানলৈ নি শৰণাগত জনৰ দুখহাৰী ভগবান শ্ৰীহৰিয়ে স্বীয় কৰকমলৰ মাজত তেওঁৰ কৰ ধাৰণ কৰি কবলৈ ধৰিলে।—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৬ আধ্যা, ১ম শ্লোক।

(খ) গচ্ছোদ্ধৱ ব্ৰজং সৌম্য পিত্ৰোৰ্ণঃ প্ৰীতিমাবহ।
গোপীনাং মদ্বিয়োগাধিং মৎসন্দেশৈৰ্বিমোচয়॥

অৰ্থ:—হে সৌম্য উদ্ধৱ! তুমি ব্ৰজলৈ গৈ আমাৰ বিৰহত শোক-সন্তপ্ত পিতা-মাতাৰ প্ৰাণত সান্ত্বনা দিয়াঁগৈ। অহ, আমাৰ বিৰহত গোপিনীসকল ব্যাকুল হৈ পৰিছে চাগৈ! আমাৰ সাদৰ-সংবাদেৰে সিবিলাকৰ তাপিত প্ৰাণত শান্তি দান কৰাঁগৈ।—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৬ আধ্যা, ১ম শ্লোক।

(২) ধাৰয়ন্ত্যতিকৃচ্ছেণ প্ৰায়ঃ প্ৰাণান্ কথঞ্চন।
প্ৰত্যাগমনসন্দেশৈৰ্বল্লব্যো মে মদাত্মিকাঃ॥

অৰ্থ:—বৃন্দাবন-বিদায় কালত মই 'সোনকালে আকৌ আহিমগৈ' বুলি সিবিলাকক আশ্বাস দি আহিছিলোঁ; এতিয়া, মোক উলটি যোৱা নেদেখি সিবিলাক শোকত বিহ্বল হৈ পৰিছে চাগৈ।—শ্ৰীমদ্ভাগৱত, দশম' স্কন্ধ, ৪৬ আধ্যা, ৫ শ্লোক।

(৩) ইত্যুক্ত উদ্ধৱো ৰাজন্ সন্দেশং ভৰ্ত্তুৰাদৃতঃ।
আদায় ৰথমাৰুহ্য প্ৰয়যৌ নন্দগোকুলং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৬ আধ্যা, ৬ষ্ঠ শ্লোক।

সহানুভূতিৰে ওপচাই পেলালে। তেওঁ কণ্ঠৰোধ হৈ ভগা-ভগা স্বৰেৰে কৃষ্ণপ্ৰাণ গৰখীয়াবৃন্দক এই বুলি সমিচাৰ দিলে যে, তেওঁ কৃষ্ণ নহয়,—কৃষ্ণৰ বান্ধৱ হে,—নাম উদ্ধৱ। সেই সমিচাৰ পাই গৰখীয়াবৃন্দ হতাশৰ খুন্দাত ঢলি ঢলি পৰিল। দেখি, উদ্ধৱে চকু-লো হুটুকি থাকিব নোৱাৰিলে। তেওঁ ঢুলঢুলীয়া চকুৰে চাই-চাই গৰখীয়া-বৃন্দক আশ্বাস দি বুজাই কবলৈ ধৰিলে যে, সিবিলাকৰ প্ৰাণৰ বন্ধু শ্ৰীকৃষ্ণ তেওঁৰ অলপ পিচতে আহিব লাগিছে, সেই বতৰাকে সিবিলাকক দিবলৈহে আহিছে। সেই আশ্বাসত পতিয়ন গৈ গৰখীয়াবৃন্দ অলপ শান্ত হল, আৰু সেই ছেগতে সাৰথিয়ে ৰথ নন্দালয়ৰ অভিমুখে চলাই দিলে।

নন্দালয়ৰ পদুলিমূৰত ৰথ ৰখোৱা মাত্ৰকে ভিতৰৰপৰা যশোদা ৰাণীযে বাউলী হৈ—"হা কৃষ্ণ" "হা কৃষ্ণ" বুলি ৰথৰ ওপৰত উদ্ধৱক সাবটি ধৰিলেগৈ। একে সময়তে, আনহাতে ৰোহিণীদেৱীয়েও উধাতু খাই আহি উদ্ধৱক যশোদাই সৈতে জপতিয়াই সাবটি ধৰি এই বুলি চিয়ঁৰি-বলৈ ধৰিলে, "কানাইঐ, তই অকলে উলটিলি, মোৰ বলাইক ক'ত এৰি আহিলি?" এই বুলি তেওঁ চিয়ঁৰি চিয়ঁৰি কান্দিবলৈ ধৰিলে। উদ্ধৱ মহা বিপদত পৰিল। বাস্তৱতে, সেই সময়ত তেওঁ নো ক'লৈ আহিল, ক'ত আছে, কাক কি কব তাৰ উৱাদিহ নোপোৱাত পৰিল। অৱশেষত তেওঁ বিবুদ্ধি হৈ ৰথৰপৰা নামি যশোমতী আৰু ৰোহিণীদেৱীক যথাযোগ্য সেবা সৎকাৰ কৰি, গৰখীয়াবৃন্দক দিয়া সমিচাৰেৰেই দুইকো সান্ত্বনা দিবলৈ ধৰিলে। যশোদা আৰু ৰোহিণীয়ে উদ্ধৱৰ বুজনিলৈ আওকাণ কৰি মহূপৰ ইনাই-বিনাই ৰাম-কৃষ্ণৰ বিৰহত বিলাপ কৰিবলৈ ধৰিলে। তাৰ পাচত, অজস্ৰ চকু-লোৰেদি অন্তৰৰ সন্তাপ বাজলৈ বোৱাই দুয়ো উচুপি-উচুপি আপোনা-আপুনি একেৰি শান্ত হোৱা দেখি, উদ্ধৱে লাহেকৈ আগবাঢ়ি গৈ নন্দৰাজৰ কাষ চাপি তেওঁক যথা সম্মানেৰে অভিবাদন কৰিলেগৈ। গোপেশ্বৰ নন্দয়ো উলটি উদ্ধৱক বাসুদেৱ সদৃশে আদৰি নি যথাযোগ্য আসনত বহুৱাই লৈ চল্-চলীয়া চকুৰে কৃষ্ণৰ বতৰা শুনিবলৈ ধৰিলে[১]। উদ্ধৱে সকলো বৃত্তান্ত বিবৰি কৈ গৈছে; নন্দ, যশোদা আৰু ৰোহিণীয়ে চকু-লো টুকি টুকি একাণপতীয়াকৈ শুনি গৈছে। শুনি শুনি শুনি যশোদাই এই বুলি এটা হিয়া-ভেদী চিয়ঁৰ মাৰি উঠিলে, "সঁচাকৈয়ে মোৰ কৃষ্ণধনে আকৌ মোৰ বুকু জুৰাবহি নে?"—উদ্ধৱে একেচাবে যশোদা আৰু ৰোহিণীলৈ চাই ডাঠ্‌কৈ উত্তৰ দিলে, "সঁচা-কৈয়ে, আইসকল, মোৰ বান্ধৱ ৰাম-কৃষ্ণ সঁচাকৈয়ে উলটি আহি বৃন্দাবন পুনঃ সুশোভন কৰিবহি। যাদৱগণৰ পৰম শত্ৰু কংস ৰজাক নিহত কৰি উঠি, গোপৰাজৰ সমীপলৈ আহি, বাসুদেৱে আপুনি প্ৰতিশ্ৰুতি দিছিল যে, মথুৰাত ৰাজপৰিয়াল আৰু সুহৃদবৰ্গৰ মঙ্গল সাধন কৰাৰ পাচত আকৌ তেওঁ ব্ৰজধামলৈ আহিব; এতেকে শ্ৰীকৃষ্ণই সেই প্ৰতিশ্ৰুতি অৱশ্যে পালন কৰিব। আপোনাসকল কৃষ্ণ-বিৰহত অতিকৈ কাতৰ নহব, কিয়নো, কাঠৰ ভিতৰত জুই যেনেকৈ সততে বৰ্ত্তমান, তেনেকৈয়ে ভগবান শ্ৰীকৃষ্ণও প্ৰাণীমাত্ৰৰেই অন্তৰত নিত্য বিদ্যমান, এতেকে আপোনা-সকলে তেওঁক নিতৌ পাই থাকিব[২]। ভগবান বাসুদেৱে সবাৰকে সমান দেখে, তেওঁৰ প্ৰিয় বা অপ্ৰিয় কোনো নাই, কাকো তেওঁ উত্তম বা অধম জ্ঞান নকৰে, তেওঁৰ মানত সকলো সমান, তেওঁৰ কোনো মাক-পিতাক নাই, তেওঁৰ ভাৰ্য্যা-পুত্ৰ-কন্যা কোনো নাই, স্বৰূপাৰ্থত তেওঁৰ জন্মও নাই, দেহাও নাই; এতেকে তেওঁৰ আত্মীয়ও নাই, শত্ৰুও নাই[৩]। ভগবান শ্ৰীকৃষ্ণ কেতিয়াও আপোনা-লোকৰ আত্মজ নহয়, যদি আত্মজ বুলিব লাগে, তেন্তে

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৬ আধ্যা, ১২ শ্লোক।

(২) মা খিদ্যতং মহাভাগো দ্ৰক্ষ্যথঃ কৃষ্ণমন্তিকে।
অন্তৰ্হৃদি স ভূতানামাস্তে জ্যোতিৰিবৈধসি ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৬ আধ্যা, ২৭ শ্লোক।

(৩) নহ্যস্যাতিপ্ৰিয়ঃ কশ্চিন্নাপ্ৰিয়ো বাস্ত্যমানিনঃ।
নোত্তমোনাধমো বাপি সমানস্যাসমোঽপি বা ॥
ন মাতা ন পিতা তস্য ন ভাৰ্য্যা ন সুতাদয়ঃ।
নাত্মীয়ো ন পৰশ্চাপি ন দেহো জন্ম এব চ ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৬ আধ্যা, ২৮ শ্লোক।

তেওঁ জীৱমাত্ৰৰেই আত্মজ, তেওঁৱেই আত্মা, তেওঁৱেই পিতা, তেওঁৱেই মাতা আৰু তেওঁৱেই নিয়ন্তা[১]।" এই কথাত বুজনি মানি তুয়ো গৰাকী মাক একেৰি শান্ত হৈ উদ্ধৱৰ আতিথ্য-সৎকাৰৰ ব্যৱস্থাত তৎপৰ হল গৈ।

সেই দিনা পূৰ্ণিমা ৰাতি। নন্দ-যশোদা আৰু ৰোহিণী দেৱীৰ আতিথ্য হৃষ্টচিত্তেৰে গ্ৰহণ কৰাৰ পাচত, উদ্ধৱ ধীৰে ধীৰে ৰাসমঞ্চৰ ফালে আগ বাঢ়িল। জোনাক ৰাতি বৃন্দাবনৰ শান্তিময়ী শোভাত মুগ্ধ হৈ গৈ গৈ উদ্ধৱ একেবাৰে ৰাসমঞ্চত উপস্থিত হলগৈ। তেওঁ আপোন-পাহৰা হৈ, ক'ত উপস্থিত হৈছেগৈ তাৰ তত্ ধৰিব পৰা নাই, কিন্তু তেওঁক নিলগতে গোপিনীসকলে লক্ষ্য কৰি সিবিলাকৰ মাজত মুখে-মুখে এই বুলি কোৱাকুই কৰিবলৈ ধৰিলে "এওঁবা আহিছে কোন্? কংস দৈত্যৰ স্বাৰ্থ সাধনৰ অৰ্থে যি জনে কমললোচন শ্ৰীহৰি শ্ৰীকৃষ্ণক মথুৰা-পুৰীলৈ হৰি লৈ গলহি, সেই ক্ৰূৰমতি অক্ৰূৰ আকৌ ওলালহি নে কি?[২] এইবাৰ বা কি উদ্দেশ্যে আহিছে এওঁ?—এইবাৰ আমাৰ মাংসৰে সৈতে পিণ্ড দি পাপী কংসৰ প্ৰেতাত্মাক উদ্ধাৰ কৰিবৰ মনেৰে শৰাধ পাতিবলৈ আহিছে হব পায়?"[৩] আচম্বিতে কৃষ্ণৰূপ নিৰখি[৪] মঞ্চৰ মাজত গোপিনীবৰ্গ উত্ৰাৱল হৈ উঠিল। উদ্ধৱে পোনেই সৌকাধাৰিণী মঞ্চ-ৰথীয়ানী গোপিনী-প্ৰহৰীৰ সমুখত পৰিলগৈ। পিচমুহূৰ্ত্ততে, প্ৰহৰীৰ প্ৰশ্নোত্তৰ দিবলৈ নোপাওঁতেই, 'কৃষ্ণ' 'কৃষ্ণ' 'কৃষ্ণ' ধ্বনিৰে বৃন্দাবন প্ৰতিধ্বনিত কৰি গোপিনীবৰ্গে উধাতু খাই লৰি আহি উদ্ধৱক আগুৰি ধৰিলেহি। গোপিনীসকলৰ কোনোৱে আচৰিত হৈ এই বুলি চিঞঁৰি উঠিছে, 'অকল কৃষ্ণধন হে আহিছে, ৰামধন নাহিলচোন?" কোনোৱে আবেগৰ বেগত উদ্ধৱৰ হাতত ধৰি এই বুলি খোঁজলিয়াইছে, "আমালৈ মনত পৰিল হবলা?" এগৰাকীয়ে চুপতি মাৰি কৈছে, "হওক উলটি যে আহিল গৈ, এয়ে আমাৰ পৰম ভাগ্য।" এগৰাকীয়ে আকৌ ৰাধিকা হে উদ্ধৱৰ বাৰে থিয় দি আনন্দত আপোন-পাহৰা হৈ এই বুলি আনবিলাকক আদেশ দিছে, "ধৰা সখীহঁত, আমাৰ ৰাসেশ্বৰক মাজত লৈ আমি আকৌ ৰাস-লীলাত ধৰোঁ।" সেই আদেশ পোৱা মাত্ৰকে গোপিনীসকলে উদ্ধৱক দাঙি নিয়াদি নি ৰাসচক্ৰৰ মাজত থিয় কৰাই লৈ বেৰি ধৰি নাচিবলৈ উদ্যত হল। ইমানলৈকে উদ্ধৱ তৰধ লাগি নিস্তব্ধ হৈ আছিল। ইমানতে তেওঁৰ হুঁচ্ আহিল যে, গোপিনীসকলে তেওঁক স্বয়ং শ্ৰীকৃষ্ণ ভাবি ৰাসমঞ্চৰ প্ৰচলিত কৃষ্ণ-প্ৰৱৰ্ত্তিত ৰাসক্ৰীড়াৰ উদ্দেশে উদ্যত হৈছে। তেওঁ ততালিকে কৰযুৰি বিনীত-ভাৱে গোপিনীসকলক জনালে যে, তেওঁ প্ৰকৃততে সিবিলাকৰ ৰাসেশ্বৰ শ্ৰীকৃষ্ণ নহয়, কৃষ্ণৰ বান্ধৱ হে,—নাম উদ্ধৱ। সেই সম্বিধান পোৱা মাত্ৰে হতাশত গোপিনীসকল শেঁতা পৰিল। আটাইটিয়ে তেতিয়া উদ্ধৱক জুমি-জামি ভালকৈ চাই, প্ৰকৃত কৃষ্ণ নহয় বুলি জানি শোকত বিহ্বল হৈ ঢলি ঢলি পৰিবলৈ ধৰিলে।

কৃষ্ণ অনুৰূপী কৰুণ হৃদয় উদ্ধৱৰ পক্ষে সেই মৰ্ম্মস্পৰ্শী দৃশ্য অতি অসহনীয় হল। তেওঁ সহবেদনাত অতিকৈ কাতৰ হৈ শোকেধৰা কণ্ঠেৰে গোপিনীসকলক বিনীতভাৱে এইবুলি বুজাবলৈ ধৰিলে, "হে কৃষ্ণ-আৰাধিকা গোপিনী-সকল! তোমাসৱক এটি সুখৰ বতৰা দিবলৈ মোৰ প্ৰাণহৰি শ্ৰীকৃষ্ণই মোক মথুৰাৰপৰা বৃন্দাবনলৈ পঠিয়াইছে; বতৰাটি এই যে, তোমাসৱৰ প্ৰাণ-কৃষ্ণ মোৰ পিচতে আহিব

(১) যুৱয়োৰেব নৈবায়মাত্মজো ভগবান্ হৰিঃ।
সৰ্ব্বেষামাত্মজোহ্যাত্মা পিতা মাতা স ঈশ্বৰঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৬ আধ্যা, ৩২ শ্লোক।

(২) অক্ৰূৰ আগতঃ কিম্বা যঃ কংসস্যাৰ্থ সাধকঃ।
যেন নীতো মধুপুৰীং কৃষ্ণঃ কমললোচনঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৬ আধ্যা, ৩৭ শ্লোক।

(৩) কিং সাধয়িষ্যত্যস্মাভিৰ্ভৰ্ত্তুঃ প্ৰেতস্য নিষ্কৃতিং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৬ আধ্যা, ৩৮ শ্লোক।

(৪) তং বীক্ষ্য কৃষ্ণানুচৰং ব্ৰজস্ত্ৰিয়ঃ প্ৰলম্ববাহুং নবকঞ্জলোচনং।
পীতাম্বৰং পুষ্কৰমালিনং লসন্মুখাৰবিন্দং পৰিমৃষ্ট-কুণ্ডলং॥
সুবিস্মিতাঃ কোহয়মপীব্যদৰ্শনঃ কুতশ্চ কস্যাচ্যুত-বেশভূষণঃ।
ইতি স্ম সৰ্ব্বাঃ পৰিবব্ৰুৰুৎসুকা স্তমুত্তমশ্লোক পদাম্বুজাশ্ৰয়ং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৭ আধ্যা, ১ শ্লোক।

লাগিছে। তেওঁ আহি নোপোৱালৈকে যাতে তোমাসৱে ধৈৰ্য্য ধৰি তেওঁৰ প্ৰৱৰ্ত্তিত আনন্দ-উৎসৱাদি পূৰ্ব্ববত উলাহেৰে চলাই থাকিবাঁইক, সেই অনুৰোধৰ বতৰা তেওঁ মোৰ আগত কৈ পঠিয়াইছে।" এই কথা শুনি কৃষ্ণপ্ৰিয়া ৰাধিকাসকলে হতাশৰ সুৰেৰে "মিছা! মিছা! মিছা!" বুলি মূৰ দাঙ্গি চাই আকৌ ঢলি ঢলি পৰিল! কোনো কোনো গৰাকী গোপিনীয়ে দুৰ্ব্বোৰ অনুতাপত তাপিত হৈ অন্তৰৰ আক্ষেপ এইবুলি ব্যক্ত কৰিবলৈ ধৰিলে, "হায়, সকলো মিছা! সকলো আমাৰ ভ্ৰম! কৃষ্ণসাৰ হৰিণীবোৰে যেনেকৈ ব্যাধৰ মধুৰ গীত শুনি শুনি মোহিত হৈ আগবাঢ়ি গৈ গৈ ব্যাধৰ কাষ চাপেগৈ, আৰু অন্তত সেই ব্যাধৰ দ্বাৰাই শৰবিদ্ধ হৈ যন্ত্ৰণাত চটফটাবলৈ ধৰে, আমিও সেই দৰে কৃষ্ণসাৰ ৰমণী হৈ সেই শঠশিৰোমণি কপটীয়া কৃষ্ণৰ মৌ-বৰষা কথাত মোহ গৈ, তেওঁৰ শৰণাগতা হোৱাৰ ফলত তেওঁৰ নখৰ আঁচোৰৰ বিষত মৰামূঁছা হৈ পৰি আছোঁইক! এতেকতে, হেৰা কৃষ্ণদূত, তুমি আন কথাৰ আলাপন কৰা; কৃষ্ণ সম্বন্ধীয় পুৰণি কথা আমাৰ আগত কোৱাৰ আৰু সকাম নাই।[১] গোপিনী সকলৰ লগে লগে উদ্ধৱো টলিবলৈ ধৰিলে; সিবিলাকৰ শোকাকুল অৱস্থা চাই চাই তেওঁ আৰু স্থিৰেৰে ৰব নোৱাৰাত পৰিল। তথাপি, বহু প্ৰবন্ধেৰে নিজক চম্ভালি লৈ উদ্ধৱে পুনৰপি এইবুলি প্ৰবোধ দিবলৈ ধৰিলে, "হে কৃষ্ণবিৰহিনী গোপিনী-সকল! মোৰ কথাত পতিয়ন যাব পাৰাইক যদি, ধ্ৰুৱপ মানিবাঁইক যে ভগবান শ্ৰীকৃষ্ণই সোনকালে আহি এই মৰা-মূৰা বৃন্দাবনক আকৌ প্ৰাণ দিবহি। কিন্তু, তোমাসৱৰ এনে শোকাকুল অৱস্থাৰ কথা মোৰ ওলোটা বতৰাত জানিবলৈ পালে, নিশ্চয় তেওঁ মৰ্ম্মাহত হব; আৰু তেনেহলে তেওঁ অহাত পলম হোৱাৰ আশঙ্কা।" শেহৰ ভয়লগা কথাষাকি শুনা মাত্ৰে অধীৰা গোপিনীসকল ততালিকে সুস্থিৰা হৈ উঠিল; আৰু মনৰ বেদনা মনতে চেপি ধৰি বাহিৰে ৰংমূৰা হৈ সিবিলাকে এককণ্ঠে এইবুলি উদ্ধৱক জনালে যে, সিবিলাকে বাৰু শ্ৰীকৃষ্ণ আহি নোপোৱালৈকে ধৈৰ্য্য ধৰি তেওঁৰ মূৰ্ত্তি পূজা কৰিয়েই মাজৰ কেইটামানদিন কোনোমতে কটাব; কিন্তু তেওঁ আহিবই লাগিব, অহাত যেন গোপীনাথে পলম নকৰে। সেই ছেগতে উদ্ধৱে গোপিনীসকলৰ শলাগ লৈ, এই কেই-আষাৰ বুজনিৰে সৈতে আলাপনৰ সামৰণ মাৰিলে,—"হে কল্যাণীগণ! শ্ৰীকৃষ্ণ প্ৰকৃতিৰ অতীত; বিষয়-বাসনাযুত ইন্দ্ৰিয়ৰ দ্বাৰাই সেই বাসুদেৱৰ সাক্ষাৎলাভ নহয়; কিন্তু, অনুপম ভক্তি-যোগৰ দ্বাৰাই তোমালোকে সৰ্ব্বান্তঃকৰণেৰে তেওঁক লাভ কৰিছাইক। অহ, তোমালোকৰ সৌভাগ্যৰ কথা আৰু কি কম! তোমালোকক কৃষ্ণ-বিৰহ ভাৱত আত্মসমৰ্পণ কৰা দেখি ময়ো কৃতাৰ্থ আৰু অনুগৃহীত হৈছোঁ।[২] আৰু, ইয়াকো জানিবাঁইক যে তেওঁৰ প্ৰতি তোমালোকৰ আসক্তি বঢ়াবৰ কাৰণে হে শ্ৰীকৃষ্ণ নিলগ হৈ ৰৈছে।"[৩]

পিচদিনা পুৱাতে উঠি উদ্ধৱে গৰু চৰাবলৈ নিয়া গৰখীয়া ল'ৰাবৃন্দৰ পিচ ধৰিলে। গৰখীয়া ল'ৰাবিলাকে কৃষ্ণগীত গাই গাই ফাকুৱা-দৌল অভিমুখে গৰু খেদি লৈ গৈ আছে, গা-দেখা দিয়া-নিদিয়াকৈ উদ্ধৱো পিচে পিচে গৈ আছে। যাওঁতে যাওঁতে কোনোটি গৰখীয়াই কৃষ্ণৰ দৰে ঠগ্ লগাই পেঁপা বজায়, কোনোটিয়ে কৃষ্ণৰ সদৃশে বেঁকা হৈ বাঁহী বজায়, কোনোটিয়ে কৃষ্ণৰ বুলিৰে মুৰুলী বজায়। মাজে মাজে সিবিলাকৰ মাজৰ বৰমূৰীয়া একোজনে বল-ৰামৰ আৰ্হিৰে ৰাম-শিঙা বজাই গৰু আৰু গৰখীয়াবৃন্দক বাট লগাই দিয়ে। সেই অনুক্ৰমে গৰখীয়া ল'ৰাবিলাক দৌল উদ্দেশে আগুৱাই গৈ আছে, উদ্ধৱে পিচে পিচে মুগ্ধ

(১) বয়মৃতমিব জিহ্মব্যাহৃতং শ্ৰদ্দধানাঃ
কুলিককৃতমিবাজ্ঞাঃ কৃষ্ণবধ্বো হৰিণ্যঃ।
দদৃশুৰকৃদেতত্তন্নখস্পৰ্শতীব্ৰ-স্মৰৰুজ
উপমন্ত্ৰিন্ ভণ্যতামন্যবাৰ্ত্তাঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৭ আধ্যা, ১৭ শ্লোক।

(২) সৰ্ব্বাত্মভাবোহধিকৃতো ভৱতীনামধোক্ষজে।
বিৰহেণ মহাভাগা মহান্ মেহনুগ্ৰহঃ কৃতঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৭ আধ্যা, ২৪ শ্লোক।

(৩) যত্ত্বহং ভৱতীনাং বৈ দূৰেবৰ্ত্তে প্ৰিয়ো দৃশাং।
মনসঃ সন্নিকাৰ্থং মদনুধ্যানকাম্যয়া॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৭ আধ্যা, ৩১ শ্লোক।

চিত্তেৰে গাৰ হাঁ যেন হৈ গৈ আছে। মাজে মাজে মাজ-বাটতে ল'ৰাইতে কৃষ্ণ-সুমৰণত বিচলিত হৈ, 'হা কৃষ্ণ হা কৃষ্ণ'কৈ আটাইটিয়ে এককণ্ঠে বিলাপৰ ৰাগ দিয়ে; পিচৰপৰা উদ্ধৱে শুনি শুনি থিতাতে যেন ঢলি পৰিব, এনে হয়! সেইদৰে গৈ গৈ ফাকুৱা দৌল পালেগৈ। তাতে আগৰ দৰে, কৃষ্ণলীলা অভিনয়ৰ অৰ্থে চৌপাশে সেউজীয়া সুবহুল দুবৰি ঘাহনি চাপৰিত গৰু-গাই চৰিবলৈ এৰি দি গৰখীয়া-বৃন্দই কৃষ্ণ-আখৰাৰ ঠগেৰে হাতে হাতে ধৰাধৰিকৈ দৌলটো মেৰাই থিয় দিলে। তাৰ পাচত সিবিলাকৰ মাজৰে বাঁহী-মুৰুলী বজোৱাত পাকৈত শ্ৰীমন্ত গৰখীয়া এজনে দৌলৰ চূড়াত উঠি শ্ৰীকৃষ্ণৰ আৰ্হিৰে বেঁকা হে বাঁহী বজাই সুৰ দিয়ে, সেই সুৰতে সুৰ মিলাই সদৌ গৰখীয়া মণ্ডলীয়ে ঐক্যতানেৰে কৃষ্ণ-ৰাগিনী ধৰে। দৌলৰ চূড়াৰপৰা মুৰুলীধৰ গৰখীয়াই কৃষ্ণগীত মুৰুলীৰ বুলিৰে লগাই দিয়ে, তলত গৰখীয়া মণ্ডলীয়ে ঐক্যতানেৰে সেই গীত গাই গাই দৌলৰ চৌপাশে ঘূৰি ঘূৰি নাচোন ধৰে। সেইদৰে নানা ভাউতিৰে দৌলোৎসৱৰ আৰ্হিৰে গৰখীয়াদলে আপোন-মনেৰে কৃষ্ণ-লীলা অভিনয় কৰিব লাগিছে, এনেতে লাহে লাহে কল্পিত কৃষ্ণকলেৱৰৰ উদ্ধৱে জোপাৰ আঁৰৰপৰা ওলাই গা দেখা দিলে। আটাইতকৈ আগধৰি বলৰামৰ আৰ্হিৰে গা-ৰখীয়া হৈ আওহতীয়াকৈ থিয় দি থকা গৰখীয়াই দেখা পাই, "কৃষ্ণ" "কৃষ্ণ" বুলিৰে ৰাম-শিঙা বজাই দিলে। কৃষ্ণ-ভাবত তন্ময় গৰখীয়াবৃন্দ শিঙাৰ অভাবনীয় বাদনত চঁক্‌খাই জিকাৰি উঠিল। তাৰ পিচ-মুহূৰ্ত্ততে কৃষ্ণৰূপী উদ্ধৱক সমুখত পাই আটাইবিলাক গৰখীয়া উত্ৰাৱল হৈ তেওঁৰ ওপৰত উবুৰি খাই পৰিলহি। উদ্ধৱৰ মানত এই পালি জলপান হে আটাইতকৈ চৰা হল। তেওঁ বিবুদ্ধি হৈ কি কওঁ কি নকওঁ কৰোঁতেই কৃষ্ণবিৰহী গৰখীয়া ল'ৰাইতে কৃষ্ণক যেন হাততে পাই আনন্দত উধাও হল। কোনোৱে পাৱত, কোনোৱে উৰুত, কোনোৱে কঁকালত, কোনোৱে বাহুত, কোনোৱে ডিঙিত সাবটি ধৰি উৰুলীকৃত হৈ উদ্ধৱক আলাসতে নচুৱাবলৈ ধৰিলে। উদ্ধৱ ইতিপূৰ্ব্বৰেপৰা বিতত্‌ হৈ আছিল, ল'ৰাইতৰ উত্ৰাৱল আলিঙ্গনত তেওঁ প্ৰকৃততে চূৰ্ত্তি হেৰুৱাই অস্থিৰ হৈ পৰিল। শেহান্তৰত তেওঁ অতি কষ্টেৰে নিজক চম্ভালি লৈ লৰালৰিকৈ দুই-চাৰি আষাৰ কথাৰে সৈতে চিনাকি দি লৈ, গৰখীয়াবৃন্দক এই বুলি বুজনি দিবলৈ ধৰিলে, "হে মোৰ মৰমৰ গোপাল-বৰ্গ! তোমালোক কৃষ্ণধনৰ বিৰহত বৰকৈ বিহ্বল নহবাইক, তোমালোকৰ লগৰীয়া গোপাল-কৃষ্ণ বৃন্দাবনলৈ আকৌ আহিব। তেওঁ উলটি আহেমানে তোমালোকে তেওঁৰ নিয়ম পালন কৰি গৰু-গাই চৰাই উমলি ফুৰিবলৈ কৃষ্ণদেৱে তোমালোকলৈ মোৰ আগত কৈ পঠিয়াইছে। এতেকে, তেওঁক ঘনাই ঘনাই সুমৰি তোমালোকে আমন-জিমনকৈ নাথাকিবাইক।" উদ্ধৱৰ উপদেশ শুনি জন-দিয়েক বুজন গৰখীয়াই উচুপি উচুপি এই বুলি কবলৈ ধৰিলে, "হে প্ৰভো, কৃষ্ণবন্ধু! আমি নো আমাৰ কানাই কৃষ্ণক সুমৰোঁ বুলি সুমৰিছোঁ নে? আমাৰ বৰগৰখীয়া বলাইৰে সৈতে কানাইয়ে এইবোৰ বিল, গড়া, চাপৰি আদি বনৰ মাজে মাজে নৈৰ পাৰে পাৰে বেণু বজাই আমাৰে সৈতে গৰু-চৰাই ফুৰিছিল; এই সকলোবোৰতে তেওঁৰ চৰণ-চিনৰ ছাব বৈছে। আমি বলেৰে পাহৰি থাকোঁ বুলিলেও, এই চিনবোৰে আমাক কৃষ্ণকথা মনত পেলাই দিয়ে, আমি নো কানাইক কেনেকৈ পাহৰি থাকোঁ বাৰু [১]।" উদ্ধৱ নীৰৱ। গৰখীয়া ল'ৰাইতে যেয়ে য'তে আছিল, সেয়ে ত'তে চৰগপৰা মানুহৰ দৰে ঠৰ্‌ লাগিল। দুয়ো পক্ষৰে একে দশা! তাৰ পাচত, বলেৰে হুঁচ্‌ লৈ, উদ্ধৱে ল'ৰাইতক যিমান সোনকালে পাৰে সান্ত্বনা দিয়াৰ অভিপ্ৰায়ে কৃষ্ণৰ বৃন্দাবনপ্ৰত্যাগমন বিষয়ে বিশ্বাস জন্মাই ঘূৰাই ঘূৰাই কবলৈ ধৰিলে। শিশুৰ আশু পতিয়ন! "কৃষ্ণ পিচতে আহিব লাগিছে" বোলা উদ্ধৱৰ বতৰাত

---

(১) সৰিচ্ছৈলবনোদ্দেশা গাবো বেণুৰবা ইমে।
সঙ্কৰ্ষণসহায়েন কৃষ্ণেনাচৰিতাঃ প্ৰভো ॥
পুনঃ পুনঃ স্মাৰয়তি নন্দগোপসুতং বত।
শ্ৰীনিকেতৈস্তৎপদকৈৰ্বিস্মৰ্ত্তুং নৈবশক্নুমঃ ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৭ আধ্যা, ৪৫ শ্লোক।

প্ৰত্যয় মানি ল'ৱাইতে পুনৰপি আনন্দত উধাও হৈ নাচিবলৈ ধৰিলে। সেই ছেগতে উদ্ধৱে নন্দালয় অভিমুখে উলটি বেগাবেগিকৈ খোজ ধৰিলে।

কৃষ্ণবিৰহানলে বৃন্দাবন দগ্ধ কৰাৰ তাপত পৰি হৰিদাস উদ্ধৱৰ করুণ-হিয়া বিগলিত হবলৈ ধৰিলে। বৃন্দাবনত আৰু সৰহপৰ তিষ্ঠিবলৈ তেওঁৰ সাধ্য নোহোৱা হল। যিমান সোনকালে পাৰে মথুৰালৈ উলটি গৈ বান্ধৱ শ্ৰীকৃষ্ণক এই বিষয়ক বতৰা দি বুজাই-বৰাই আকৌ বৃন্দাবনলৈ পঠিয়াওঁগৈ বুলি উদ্ধৱে পাৰ্য্যমানে সোনকালে মথুৰালৈ উলটিবলৈ মনস্থ কৰিলে। কিন্তু, নন্দ-যশোদা-ৰোহিণীয়ে তেওঁক দিনচেৰেক দীঘলাই ৰখাবৰ নিমিত্তে বৰকৈ ধৰিলে। সেই অনুৰোধ এৰাব নোৱাৰি উদ্ধৱে অগত্যা আৰু কেই-দিনমান থাকিবলৈ মান্তি হব লগাত পৰিল। দিনদিয়েক সেইমতে থাকি উদ্ধৱে পুৱা, দুপৰীয়া, আবেলি, সন্ধিয়া, ৰাতি—কেইওপ্ৰসঙ্গত গৰখীয়াবৃন্দ, গোপিনীসকল, গোপ-বৰ্গ, নন্দ-যশোদা-ৰোহিণী আৰু সদৌ-ব্ৰজবাসীক কৃষ্ণৰ বিবিধ ভাও দেখুৱাই পুলকিত কৰি কৃষ্ণবিৰহৰ তাপ কিয়ৎ পৰিমাণে শাম কটাবলৈ ধৰিলে। সেইভাৱে দুদিন-চাৰি-দিনলৈ বুলি ৰওঁতে ৰওঁতে উদ্ধৱে বৃন্দাবনত এমাহ-দুমাহকৈ তিনি মাহ কটাব লগা হয়।[১] তাৰ পাচত, এদিন বহু প্ৰবন্ধেৰে ব্ৰজবাসীৰপৰা বিদায় লৈ তেওঁ মথুৰা-প্ৰত্যা-গমনলৈ সাজু হল। সেই উদ্ধৱ-বিদায়-ক্ষণত নন্দৰাজ-প্ৰমুখ্যে ব্ৰজৰ গোপ-গোপিনী সকলোৱে এককণ্ঠে তেওঁৰ জৰিয়তে শ্ৰীকৃষ্ণলৈ এই বুলি গোহাৰি জনালে,—"হে নাথ! হে ব্ৰজনাথ! হে আৰ্ত্তিনাশন! হে ৰমানাথ! হে গোবিন্দ! তোমাৰ অদৰ্শনত সমগ্ৰ গোকুলবাসী আজি দুখসাগৰৰ গভীৰ গহ্বৰত নিমগ্ন হৈছে। তুমি তাঁহাতক উদ্ধাৰ কৰাঁহি।"[২]

ইফালে মথুৰাত শ্ৰীকৃষ্ণ সাধাৰণ লোকৰ সদৃশে বিৰহ-বিহ্বল। উদ্ধৱক বৃন্দাবনলৈ যাত্ৰা কৰাই আহি পিতৃগৃহত তেওঁৰ মনত শান্তি নোহোৱা হল, বৃন্দাবন-বিচ্ছেদ-পোৰণিত তেওঁৰ অন্তৰে চাটিফুটি কৰিবলৈ ধৰিলে! বাহিৰে যদিও কৰ্ত্তব্যৰ দায়ত পৰি তেওঁ ধৈৰ্য্য ধৰি বৈছিল, ভিতৰি অস্থিৰ হৈ পৰিছিল। উদ্ধৱ-সংবাদৰ সেই তিনি মাহ কৃষ্ণৰ মানত তিনটা যুগ যেন বোধ হল। যি জোপা বৰগছৰ তলৰপৰা উদ্ধৱক বৃন্দাবনলৈ কটকী পঠিয়াইছিল, তেওঁ দিনৌ আবেলি সেই বৰগছ জোপাৰ তলত উদ্ধৱৰ প্ৰতীক্ষাত উৎকণ্ঠিত হৈ অকলে বহি থাকেগৈ। সেইদৰে উদ্বিগ্ন চিত্তেৰে চাওঁতে চাওঁতে তিনি মাহৰ মূৰত যমুনাৰ সিপাৰে উদ্ধৱৰ ওলটা-ৰথ ৰলহি। যমুনা পাৰ কৰিবৰ যো-জা কৰোঁতে ৰথ ক্ষন্তেক ৰখোৱাটো কৃষ্ণৰ পক্ষে অসহনীয় বোধ হল, তেওঁ উত্ৰাৱলভাৱে তত্তালিকে যমুনা পাৰ হৈ উদ্ধৱক সিপাৰতে লগ ধৰিলেগৈ। দুইৰো সেই বৈদ্যুতিক মিলনত চকুৱে চকুৱে কথা হল, অন্তৰে অন্তৰক অনুভৱ কৰিলে, দুয়ো নীৰৱে দুইকো বুজি ললে। উদ্ধৱে যি বতৰা আনিব তাক কৃষ্ণই আগধৰিযেই অন্তৰ্যামী হৈ জানি থৈছিল। তথাপি, তেওঁ একান্ত মনেৰে কাণ পাতিলে, উদ্ধৱে আদ্যোপান্ত সৰস্বতীযেন মুখেৰে বৰ্ণাবলৈ ধৰিলে। নন্দ-যশোদা-ৰোহিণীৰ বিলাপ, গোপিনীসকলৰ আন্তৰিক বিৰহানল, গৰখীয়া ল'ৰা-ছোৱালীৰ বিচ্ছেদ-বিলাই বৰ্ণনাই শ্ৰীকৃষ্ণৰ অন্তৰ স্তৰে স্তৰে ভেজিবলৈ ধৰিলে, দুবৰিবনত নিয়ৰৰপানী বৈ পৰাৰ দৰে তেওঁৰ দুগালে দুধাৰি চকু-লো বৈ পৰি শ্যামশেখৰযেন বুকুৰেদি বাগৰিবলৈ ধৰিলে। সেইখিনি পৰত কৃষ্ণ আৰু উদ্ধৱ দুইৰো শোক সমানে উধাইছিল, দুয়ো সমানে প্ৰবোধৰ পাত্ৰ হৈছিল। গতিকে, কাকো কেৱে সান্ত্বনা দিবলৈ নাচাই, দুয়ো দুইৰো বক্তব্য আৰু কৰ্ত্তব্যলৈ মাথোন লক্ষ্য ৰাখিছিল। কৃষ্ণক বৃন্দাবনলৈ যিমান সোনকালে পাৰে পুনৰপি পঠিয়াবৰ অৰ্থে উদ্ধৱে পাৰ্য্যমানে বুজাবলৈ ধৰিলে। আন কি, উদ্ধৱে যে "শ্ৰীকৃষ্ণ পিচত আহিব লাগিছে" বুলি, বৃন্দাবনবাসীক

---

(১) উবাস কতিচিন্মাসান্ গোপীনাং বিনুদন্ শুচঃ।
কৃষ্ণলীলাকথা গায়ন্ ৰময়ামাস গোকুলং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৭ আধ্যা, ৪৮ শ্লোক।

(২) হে কৃষ্ণ হে ৰমানাথ ব্ৰজনাথাৰ্ত্তিনাশন।
মগ্নমুদ্ধৰ গোবিন্দ গোকুলং বৃজিনাৰ্নবে॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৪৭ আধ্যা, ৪৬ শ্লোক।

আশ্বাস দি আহিছিল, সেই কথাৰ অন্যথা হব লাগিলে উদ্ধৱ জগতত মিছলীয়া হব, আৰু সেয়ে হলে তেওঁ জীয়াই থকাৰ সকাম নাই বুলি সিমানলৈকো তেওঁ টানি কবলৈ বাকী নাৰাখিলে। শুনি শুনি শ্ৰীকৃষ্ণই আত্ম-চন্তালন কৰি বান্ধৱ উদ্ধৱক এই বুলি বুজাই তুষ্ট কৰিলে যে, সিবিলাকৰ সাম্প্ৰতিক উদ্দেশ্য সিদ্ধি হৈছে, বৃন্দাবনৰ পিতৃ-মাতৃ, গোপ-গোপিনী, গৰখীয়া ল'ৰা-ছোৱালীক আশ্বাস মনাই যে সম্প্ৰতিকলৈ শান্ত কৰি আহিবগৈ পাৰিলে, সেইবাবে উদ্ধৱৰ পাশত কৃষ্ণ ধৰুৱা থাকিব, কৃষ্ণই কদাপি উদ্ধৱক মিছাত নেপেলায, সময়ত তেওঁ সকলোৰে মনোৰথ পূৰ্ণ কৰিবলৈ চাব।

পঞ্চম আধ্যা

ৰাম-কৃষ্ণৰ অধ্যাপনা

কংসবধকাণ্ড সমাপন কৰি উঠি, অসাধাৰণ প্ৰতিভাপন্ন আদৰ্শপুৰুষৰ অঙ্কুৰ চেমনীয়া শ্ৰীকৃষ্ণই, পোন-প্ৰথমে, কংসৰ উৎপাতত তিষ্ঠিব নোৱাৰি নানা ঠাইত গৈ থিতাপি হোৱা আত্মবংশীয় অথন্তৰ যাদৱসকলক নিৰাপদকৈ থান্‌থিত্‌ লগোৱাত মনোযোগ দিলে। সেই অৰ্থে বাসুদেৱে কংস ৰজাৰ পিতৃ ভগা-ৰজা উগ্ৰসেনক পুনৰপি মথুৰাধিপতি ৰজা পাতি বৃষ্ণি আৰু ভোজ প্ৰমুখ্যে যাদৱকোঁৱৰসকলক যোগ্যতা অনুসাৰে বিষয় বাব দি, সুশৃঙ্খলাকৈ মথুৰাত যদু-বংশৰ আধিপত্য পুনৰপি বিস্তাৰ কৰিলে। স্বেচ্ছাচাৰী কংস ৰজাৰ অত্যাচাৰ এৰাবৰ উদ্দেশ্যে নানাকালে পৰ-ৰাজ্যত বসতি কৰি আঁতৰি থকা যাদৱসকলকো অক্ৰূৰ[১] আৰু উদ্ধৱ প্ৰমুখ্যে জ্ঞানী জ্ঞাতি-নেতাসকলৰ জৰিয়তে চপাই আনি দৈৱকীনন্দন যদুনাথে সকলোটিকে ভাগে-ভাগে প্ৰাপ্য পৈতৃক ভূ-সম্পত্তি ভগাই দি স্বৰাজ্য মথুৰাত থিতাপি হবলৈ দিহা লগাই দিলে। যশোদাতনয় নন্দনন্দন গোপালৰ অনুগ্ৰহত পুনৰুদ্ধাৰিত হৈ অকূল যদুকুলে আকৌ নিৰাপদ কূল লাভ কৰিলে, আৰু নিৰ্জ্জীৱ মথুৰাবাসী পুনৰ্জ্জীৱিত হল,—বৃন্দাবনৰ ৰামকৃষ্ণ মথুৰাৰ হৰকৃষ্ণ হলহি।

শ্ৰীকৃষ্ণৰ সেই অসামান্য উপকাৰৰ প্ৰত্যুপকাৰ কৰিবলৈ মথুৰাবাসীৰ বিহিত বল নাই, তথাপি সিবিলাকে তেওঁক যুৱৰাজ পাতি লৈ, এফেৰিমান কৃতজ্ঞতাৰ চিন্‌ দেখুৱাবলৈ হাবিয়াস কৰিলে। কিন্তু, বৰ পৰিতাপৰ বিষয় যে, মথুৰাবাসীৰ সেই প্ৰস্তাৱত বাসুদেৱ মান্তি নহল। বৃদ্ধৰাজ উগ্ৰসেন প্ৰমুখ্যে[২] সদৌ যাদৱ ৰাজ-পুৰুষসকলে অশেষ অনুৰোধৰ হেচা দি ধৰিলে, কিন্তু সুদূৰদৰ্শী সুধীৰ কৃষ্ণদেৱৰ স্থিৰ সিদ্ধান্ত কেৱে লৰাব নোৱাৰিলে। গোটেই মথুৰাৰাজ্যৰ ৰজা-প্ৰজাৰ সন্মিলিত সাদুনয় অনুৰোধেও গোৱৰ্দ্ধনধাৰী গোৱিন্দক টলাব নোৱাৰিলে[৩]। আন কি, গোকুলত গঢ়িত বৃন্দাবনবিহাৰী নন্দনন্দন যশোদাতনয়ৰ অতি চেনেহৰ জন্মদাতা পিতৃ বসুদেৱ আৰু গৰ্ভধাৰিণী মাতৃ দৈৱকীৰ অপত্য-স্নেহৰ অলঙ্ঘ্য আদেশেও তেওঁৰ ধৰ্ম্ম আৰু জ্ঞান অন্বেষণৰ ধাউতি ক্ষন্তেকলৈ মাৰ নিয়াই, অলপকালৰ কাৰণেও, স্বৰাজ্যত তেওঁক স্থগিত ৰখাব

---

(১) মদ্ভাগৱত, ১০ম স্কন্ধ, ৪৮ আধ্যা। সেই ছেগতে অক্ৰূৰে শ্ৰীকৃষ্ণৰ পেহীয়েক কুন্তীদেৱীৰ পঞ্চনন্দবো (পঞ্চ-পাণ্ডৱ) সন্ধান লৈ আহিলগৈ।

(২) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৮৮ আধ্যা।

(৩) আদিতে শ্ৰীকৃষ্ণৰ পিতৃফৈদৰ বৃষ্ণিবংশী কোঁৱৰ হে মথুৰাৰ ৰজা আছিল। পিচে, কোনো কাৰণত শাপগ্ৰস্ত হৈ এই ফৈদে সিংহাসন হেৰুৱাত মথুৰাৰ ৰাজপাট জীয়াৰী বংশলৈ যায়। সেই আপাহতে বৃষ্ণি বংশীয় শেহৰজাৰ জীয়েকৰ পুতেকে মথুৰাৰ ৰাজসিংহাসন লাভ কৰে। সেই সূত্ৰেই ভোজবংশীয় কোঁৱৰ উগ্ৰসেন তেওঁৰ পুত্ৰ কংসৰ দ্বাৰাই সিংহাসনচ্যুত নোহোৱালৈকে, মথুৰাধিপতি আছিল। কংসবধৰ পাচত, শ্ৰীকৃষ্ণ ৰজা বা যুৱৰাজ হলে, মথুৰাৰ ৰাজপাট আকৌ বৃষ্ণি বংশলৈ যায়; আৰু সেয়ে হলেই যাদৱসকলৰ মাজত আকৌ আত্ম-কন্দলৰ জুই জ্বলিবৰ আশঙ্কা থাকে। সেই কাৰণে, দীৰ্ঘদৰ্শী অদ্ভুত ৰাজনৈতিক পুৰুষৰ অঙ্কুৰ বাসুদেৱে সেই যাচি দিয়া ৰাজসিংহাসন হেলাৰঙ্গে প্ৰত্যাহাৰ কৰিলে।

নোৱাৰিলে,—তেওঁ অগ্ৰজ বলৰামৰে সৈতে অনতিপলমে মথুৰাৰপৰা দূৰ-দূৰৈ হৈ কাশীধামলৈ উত্তাৱল চিত্তেৰে অধ্যাপনাৰ উদ্দেশে যাত্ৰা কৰিলে।

কাশীত গৈ অবন্তিপুৰ নিবাসী সেইকালৰ বিদগ্ধ পণ্ডিত সান্দীপণি ঋষিৰ আশ্ৰমত ৰাম-কৃষ্ণই আশ্ৰয় ললেগৈ। তাত সেই মহাপণ্ডিতৰ ওচৰত সিবিলাকে শাস্ত্ৰাদি অধ্যয়নৰ লগে-লগে অস্ত্ৰশিক্ষা আৰু ধনুৰ্ব্বিদ্যাৰ শিক্ষা আৰম্ভ কৰে।[১] শ্ৰীকৃষ্ণৰ বুদ্ধি আৰু মেধাশক্তি ইমান প্ৰখৰ আছিল যে, তেওঁ মুঠেই ৬৪ দিন অধ্যাপনা কৰিয়েই সেই কেইওবিধ শিক্ষাত পূৰ্ণাঙ্গত্ব লাভ কৰে। কিন্তু, স্বৰূপত, সেই আয়ত্তে শ্ৰীকৃষ্ণৰ শিক্ষা সাঙ্গ হোৱা নাছিল, তেওঁ আঙ্গিৰস বংশীয় ঘোৰ নামে পণ্ডিত ঋষিৰ ওচৰতো অধ্যাপনা কৰিছিল।[২] তাৰোপৰি, শ্ৰীকৃষ্ণই দহবছৰকাল হিমালয়ত তপস্যা কৰিছিল গৈ, সেই তপস্যাৰ কালতে শ্ৰীকৃষ্ণই সমগ্ৰ বেদ অধ্যয়ন কৰে, আৰু তেওঁ সমস্ত বেদ-বেদাঙ্গ-পাৰদৰ্শী এজন অদ্বিতীয় পণ্ডিত হৈ উঠে।[৩]

সান্দীপণি ঋষিৰপৰা পাবলগীয়া শিক্ষালাভ কৰি উঠি, বিদায় কালৰ গুৰুদক্ষিণা দিবলৈ শ্ৰীকৃষ্ণ সাজু হৈছে, এনেতে সেই ঋষি-গুৰুৰ পুত্ৰক পঞ্চনয়ন নামে নৈ-কাষৰীয়া এটা দৈত্য, অৰ্থাৎ ল'ৰাচোৰ বনমানুহে অপহৰণ কৰে। পুত্ৰৰ বিয়োগত ঋষি অতিকৈ আতুৰ হৈ পৰে, আৰু তেওঁৰ শিষ্যবৰ্গৰ ভিতৰত যেয়ে সেই পুত্ৰক উদ্ধাৰ কৰি আনি দিবহি পাৰিব, সেয়ে তেওঁক অমূল্য গুৰুদক্ষিণা দান কৰাৰ তুল্য হব বুলি ঋষি-গুৰুৱে মন্তব্য প্ৰকাশ কৰাত, শ্ৰীকৃষ্ণই অনতিপলমে সেই কাৰ্য্য সাধনলৈ আগ্ৰহেৰে আগ বাঢ়িলে। তেওঁৰ মানত সিও এটা বাল্যলীলাৰ সমনীয়া ঘটনা মাথোন। গোকুল, ব্ৰজ আৰু বৃন্দাবনত সৰুৰেপৰা দৈত্যনামী প্ৰতাপী বন-মানুহৰে সৈতে যুঁজত অভ্যস্ত শ্ৰীকৃষ্ণই অগ্ৰজ বলৰামক লগত লৈ পঞ্চনয়ন দৈত্যক আক্ৰমণ কৰিলে গৈ, আৰু তাক যুঁজত হৰুৱাই তাৰ বন্দীশালৰপৰা গুৰু-পুত্ৰক মুক্ত কৰি আনি সান্দীপণি ঋষিক গুৰুদক্ষিণা দিলেহি। সেই প্ৰসঙ্গতে সেই দৈত্যৰ ৰত্নাগাৰৰপৰা শ্ৰীকৃষ্ণই এটা অতি বিতোপন আৰু বহুমূলীয়া শঙ্খ-মণি লাভ কৰি আনে, সেই শঙ্খ-ৰত্ন পাচত তেওঁৰ অগ্ৰজ বলৰামৰ ৰণশিঙ্গাৰূপে ব্যৱহৃত হৈছিল।

ষষ্ঠ আধ্যা

জৰাসন্ধৰ মথুৰা আক্ৰমণ

শিক্ষাৰ্থী ৰাম-কৃষ্ণ সান্দীপণি ঋষিৰ আশ্ৰমত বাস কৰা দুমাহমান হওঁতেই যাদৱসকলৰপৰা এইবুলি আপদৰ এটা বিষম বাতৰি সিবিলাকৰ ওচৰ পালেগৈ যে, মগধৰাজ[৪] জৰাসন্ধই বিষম আক্ৰোশেৰে আৰু বিপুল আয়োজনেৰে মথুৰা আক্ৰমণ কৰিবলৈ যাত্ৰা কৰিছে; গতিকে সেই সময়ত তাত ৰাম-কৃষ্ণৰ উপস্থিতি একান্ত প্ৰয়োজন হৈছে। বাস্তৱতে, কৃষ্ণবিনে সেই আপদত ৰক্ষা কৰোঁতা যাদৱ-সকলৰ আন কেওঁ উপযোগী লোক নাছিল। কাজেই, শ্ৰীকৃষ্ণ অগত্যা মথুৰালৈ উলটিবলৈ সাজু হব লগাত পৰিল। সেই কাৰণেই, সেই যাত্ৰাত তেওঁৰ অধ্যাপনা ৬৪ দিনতকৈ চৰিবলৈ নাপালে।

---

(১) (ক) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৮৯ আধ্যা।

(খ) শ্ৰীকৃষ্ণৰ অধ্যাপনা বিষয় কথিত আটাই কেইওখন পুৰাণে একেটা সুৰেৰেই কয় যে, সান্দীপণি পণ্ডিতৰ ওচৰত ৰাম-কৃষ্ণই মুঠেই ৬৪ দিন অধ্যয়ন কৰিছিল। সেই অলপ কালৰ ভিতৰতে অদ্ভুত প্ৰতিভাশালী ছাত্ৰ শ্ৰীকৃষ্ণই সদৌ শাস্ত্ৰ আৰু ধনুৰ্ব্বিদ্যা আয়ত্ত কৰি উঠিছিল।

(২) ছান্দোগ্য উপনিষদ।

(৩) (ক) বেদবেদাঙ্গবিজ্ঞানং বলং চাপ্যধিকং তথা।
নৃণাং লোকেহি কোঽন্যোস্তিবিশিষ্টঃ কেশবাদৃতেঃ॥
—মহাভাৰত, সভাপৰ্ব্ব, ৩৮ আধ্যা।

(খ) সেই কালত 'তপস্যা' অৰ্থে উচ্চশিক্ষা আৰু গভীৰ গৱেষণা বুজাইছিল।

(৪) সেই কালত মগধৰাজ জৰাসন্ধ আৰ্য্যাবৰ্ত্তৰ সম্ৰাট আছিল। মগধাধিপতিৰ প্ৰাধান্যতা উত্তৰ ভাৰতৰ অন্যান্য ভূপতিয়ে একাকাৰে মানিছিল। কংসবধ কাণ্ডৰ কালতো তেওঁৰ শহুৰেক প্ৰবল-প্ৰতাপী মহাবাহু জৰাসন্ধ সেই সম্ৰাট আছিল।

ওপৰত উল্লেখ কৰা হৈছে যে, জৰাসন্ধ কংসৰ শহুৰেক। জোঁৱায়েকৰ বধ-সংবাদ পাবৰেপৰা খঙত তেওঁৰ অন্তৰ জ্বলি আছিল। তাৰোপৰি, প্ৰাপ্তি আৰু অস্তি নামে তেওঁৰ দুগৰাকী জীয়েক কংসৰ দুগৰাকী বিধৱা পত্নীৰপৰা[1] অনুৰোধ আৰু উদগনি পাই, যাদৱবৰ্গক প্ৰতিশোধ দিবলৈ জৰাসন্ধ উন্মত্ত হৈ উঠিল। এনেতে, ৰাম-কৃষ্ণৰ অনুপস্থিতিৰ ছেগ ধৰি, তেওঁ বিপুল আয়োজনেৰে মথুৰা আক্ৰমণ কৰিবলৈ আগ বাঢ়িলে। সেইবাবে গোটেই আৰ্য্যাৱৰ্ত্তত তোলপাৰ লাগি উঠিল। স্বৰূপার্থত, এক মথুৰাৰাজ্যৰ বিৰুদ্ধে আৰ্য্যাৱৰ্ত্তৰ শতেকৰাজ অগ্ৰসৰ হ'ল। নিৰপেক্ষ হৈ ৰ'ল মাথোন প্ৰতাপী পাঞ্চালৰাজ।

জৰাসন্ধ সেইকালত ভাৰতবৰ্ষৰ এজন বৰ প্ৰতাপী ৰজা। স্বৰূপত, তেওঁ সেই সময়ত সাৰ্ব্বভৌমিক ভূপতি আছিল। যাদৱ আৰু পাঞ্চালত বাজে আৰ্য্যাৱৰ্ত্তৰ সকলো ৰজা আৰু ৰাজন্যবৰ্গ তেওঁৰ কৰতলীয়া, শৰণীয়া আৰু মিত্ৰৰজা ৰূপে পৰিগণিত হৈছিল। তেওঁ ২৩ অক্ষৌহিণী[2] সেনাৰ গৰাকী। এনে ৰণবলৰ লগত আকৌ, দুটা ৰাজক্ষমতাত বাজে, আৰ্য্যাৱৰ্ত্তৰ প্ৰায় আটাইবিলাক ৰাজক্ষমতাৰ ৰণবলৰ সংযোগ[3]। প্ৰবলপ্ৰতাপী চেদীৰাজ মহাৰথ শিশুপাল[4] তেওঁৰ সোঁ-হতীয়া সহায়। গতিকে, জৰাসন্ধ দেখাদেখি-কৈয়ে আঁকোৱালি নোপোৱা শকত। সাধাৰণ ৰণবলেৰে তেওঁৰ বিৰাট ৰণবলৰ লগত ফেৰ পতাটো অতি মৰসাহৰ কথা। তেনেকুৱা ৰণবল অসাধাৰণ ৰণ-কৌশলেৰে নোফৰালে, ওফৰাবলৈ আৰু আন উপায় নাই। অদ্বিতীয় ৰণ-পণ্ডিত, অদ্ভুত প্ৰতিভাশালী, আজন্ম ৰাজনৈতিক পুৰুষ শ্ৰীকৃষ্ণত বাজে সেই ৰণ-কৌশল আনৰ বুদ্ধিত উদ্ভৱ হোৱাৰ

---

(১) (ক) অস্তি প্ৰাপ্তিশ্চ কংসস্য মহিষ্যৌ ভৰতৰ্ষভ।
হতে ভৰ্ত্তৰি দুঃখার্ত্তে ঈয়তুঃ স্বপিতুৰ্গৃহান্ ॥
পিত্ৰে মগধৰাজায় জৰাসন্ধায় দুঃখিতে।
বেদয়াঞ্চক্ৰতুঃ সৰ্ব্বমাত্ম বৈধব্যকাৰণং ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫০ আধ্যা, ১ম শ্লোক।

(খ) কংসই প্ৰাপ্তি আৰু অস্তি নামে জৰাসন্ধৰ দুগৰাকী কন্যাক বিয়া কৰাইছিল। কংসবধৰ পাচত শ্ৰীকৃষ্ণই কংসৰাজ-পৰিয়ালৰ সকলোটিকে বুজাই-বৰাই আৰু বিবিধ বিধানেৰে ক্ষতিপূৰণ কৰি শান্ত কৰিলে, কিন্তু এই বিধৱা মহিষী দুগৰাকীয়ে সেই সান্ত্বনা নামানিলে,—সিবিলাকে উদ্বাউলী হৈ যাদৱ ৰাজক প্ৰতিশোধ দিয়াবৰ উদ্দেশ্যে পিতৃৰাজ মগধাধিপতি জৰাসন্ধৰ ওচৰ চাপিলেগৈ।

(২) (ক) সংখ্যাতত্ত্ববিদ্ পণ্ডিতসকলৰ মতে, 'অক্ষৌহিণী'ৰ সংখ্যা নিৰূপণ:—এখন ৰথ, এটা হাতী, পাঁচজন পদাতিক আৰু তিনিজন অশ্বাৰোহীৰে এক 'পত্তি' হয়, তিনি পত্তিত এক 'সেনামুখ'; তিনি সেনামুখত এক 'গুল্ম'; তিনি গুল্মই এক 'গণ', তিনি গণে এক 'বাহিনী', তিনি বাহিনীয়ে এক 'পৃতনা', তিনি পৃতনাত এক 'চমূ', তিনি চমূত এক 'অনিকিনি', দহ অনিকিনিয়ে এক 'অক্ষৌহিণী' হয়। এতেকে, এক অক্ষৌহিণীত ২১,৮৭০ খন ৰথ; ২১,৮৭০ টা হাতী; ১০৯৩৫০ জন পদাতিক; আৰু ৬৫৬১০ জন অশ্বাৰোহী সৈন্য থাকে।—মহাভাৰত, পৰ্ব্ব-সংগ্ৰহ, দ্বিতীয় আধ্যা।

(খ) কুৰুক্ষেত্ৰ মহাৰণত কৌৰৱ আৰু পাণ্ডৱ উভয় পক্ষৰ মাজত ক্ৰমে ১১ অক্ষৌহিণী আৰু ৭ অক্ষৌহিণী ধৰি, মুঠ ১৮ অক্ষৌহিণী সৈন্যবল নিয়োজিত হৈছিল; কিন্তু সম্ৰাট জৰাসন্ধ অকলেই তেনেকুৱা ২৩ অক্ষৌহিণী সৈন্যবলৰ অধিকাৰী আছিল।

(গ) অক্ষৌহিণীভিৰ্বিংশত্যা তিসৃভিশ্চাপি সংবৃতঃ।
যদুৰাজধানীং মথুৰাং ন্যৰুণৎ সৰ্ব্বতোদিশং ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫০ আধ্যা, ৩য় শ্লোক।

(৩) এই ৰণবলত সম্ৰাট জৰাসন্ধৰ কৰতলীয়া, শৰণীয়া আৰু মিত্ৰৰাজ এই বিলাকে শ্ৰীকৃষ্ণৰ বিৰুদ্ধে মথুৰা আক্ৰমণলৈ সমাগত হৈ যোগ দিছিল,—কৰূষাধিপতি দন্তবক্ৰ, বীৰ্য্যবান চেদীৰাজ শিশুপাল, পৌণ্ড্ৰ আৰু কলিঙ্গাধিপতি প্ৰবৰ, কৈশিক সাঙ্কৃতি, বিদৰ্ভৰাজ নৰাধিপ ভীষ্মক, ভীষ্মকনন্দন ৰুক্মবীৰ, বেণুদাৰি, শ্ৰুতৰ্ব্বা, ক্ৰাথ, আংশুমান, অঙ্গৰাজ, বঙ্গাধিপ, কোশলৰাজ, কাশীৰাজ, দশাৰ্ণ ভূপতি, বিক্ৰান্ত সুহ্মেশ্বৰ, বিদেহৰাজ, মদ্ৰৰাজ, ত্ৰিগৰ্ত্ত অধিপতি, শাল্বৰাজ, মহাবল দৰদ, কামৰূপৰ অধিপতি ভগদত্ত, শৌবীৰৰাজ সৈন্য, বলিপ্ৰবৰ পাণ্ড্য, গান্ধাৰৰাজ সুবল, মহাবল নগ্নজিৎ, কাশ্মীৰৰাজ গোনৰ্দ্দ, দৰদশীৰ মহিপতি, ধৃতৰাষ্ট্ৰ-নন্দন মহাবল দুৰ্য্যোধনাদি।—হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৯০ আধ্যা।

(৪) চেদীৰাজ মহাৰথ শিশুপাল সেই বিৰাট সৈন্য-সমষ্টিৰ সৰ্ব্বপ্ৰধান সেনাপতি আছিল। তেওঁ সম্বন্ধীয় যদিও, শ্ৰীকৃষ্ণৰ এজন মহাশত্ৰু আছিল। যথাস্থানত ইয়াৰ বিশিষ্ট প্ৰমাণ বহুলকৈ পোৱা যাব।

সম্ভাৱনা নাই। গতিকে, সেই সময়াত মথুৰাত বাসুদেৱৰ উপস্থিতি অপৰিহাৰ্য্য হোৱা হেতুকে, গুৰু-দক্ষিণা শোধাই নিধকৰা হোৱা মাত্ৰকে, বেগাবেগিকৈ ৰাম-কৃষ্ণ মথুৰালৈ উলটি আহিল।

মথুৰাৰপৰা মগধ ভালেমান দূৰৈত। জৰাসন্ধই বিপুল আয়োজনেৰে গোটেই সৈন্য-সামন্তৰে সৈতে যাত্ৰা কৰি আহি মথুৰা পাওঁতে কেইবা মাহো লাগিল। সেই ছেগতে ৰাম-কৃষ্ণ অৱন্তিপুৰৰপৰা বেগাবেগিকৈ উলটি আহি আগ-ধৰি মথুৰাত উপনীত হলহি। আহি পায়েই, শ্ৰীকৃষ্ণই যদুবংশৰ ১৮ ফৈদৰ মূল মানুহসকলক গোটাই লৈ সিবিলাকৰ নেতা স্বৰূপে[১] তেওঁ জৰাসন্ধৰ আক্ৰমণৰপৰা আত্ম-ৰক্ষাৰ উপায় উদ্ভাৱনৰ আলোচনা কৰিলেহি। শেহান্তৰত, সেই আলোচনাৰ ফলত, এই স্থিৰ হল যে, জৰাসন্ধৰ অলেখ সৈন্যৰ লগত এমুঠিমান যাদৱ-সৈন্যে ৰণ দিয়াটো আত্মহত্যাৰ তুল্য হব, কিয়নো, জৰাসন্ধৰ অসংখ্যাত সৈন্যৰে সৈতে তাকৰীয়া যাদৱ-সৈন্যই এশ বছৰ একেৰাহে ৰণ দিলেও জৰাসন্ধৰ অপাৰ সৈন্য-সমুদ্ৰৰ পাৰ পাবগৈ নোৱাৰিব, অথচ ইফালে ইতিমধ্যত নিজৰ অলপীয়া সৈন্য-সোঁত ক্ৰমাৎ ক্ষয় হৈ তাৰ ধাৰ ছিগি তৰ পৰিবগৈ। আৰু, এটা যাদৱ সৈন্যৰ হানি জৰাসন্ধৰ হাজাৰটা সৈন্য হানিতকৈও অধিক ক্ষতি। গতিকে, শ্ৰীকৃষ্ণক ঘাই সেনাপতি পাতি লৈ, সম্মিলিত যাদৱ ৰাজকোঁৱৰসকলে যোগ্যতানুসাৰে দুৱলীয়া সেনাপতিৰ বাব লৈ তাকৰীয়া যাদৱ সৈন্যেৰেই মথুৰা নগৰ ৰক্ষা কৰিবলৈ স্থিৰ কৰিলে।

যথাসময়ত জৰাসন্ধৰ অগণন সেনানীয়ে মথুৰা নগৰ গৰাহ মাৰি ধৰিলেহি। নগৰৰ ভিতৰত ৰণ-পণ্ডিত ঘাই সেনাপতি শ্ৰীকৃষ্ণৰ দিহা অনুসৰি পৰিচালিত হৈ যাদৱসকলে সুকলমে নগৰ ৰক্ষা কৰিবলৈ ধৰিলে। বাহিৰত অগ্ৰজ বলৰামৰে সৈতে বাসুদেৱে অদ্ভুত কৌশলেৰে শত্ৰুৰ আক্ৰমণত বাধা জন্মাবলৈ ধৰিলে। জৰাসন্ধই নানা কালে নানা সন্ধি চাই দুৰ্গ ভেদিবলৈ হেঁচা দি চাইছে, কিন্তু কোনো কালেই কৃতকাৰ্য্য হব পৰা নাই। এনেতে, এটা অতি অশুভ বাতৰিয়ে জৰাসন্ধক বৰকৈ বিচলিত কৰিলে। হংস[২] আৰু ডিম্বক নামে জৰাসন্ধৰ দুজন বৰ অন্তৰাত্মৰ বন্ধু আছিল, দুয়োজনেই অসাধাৰণ যোদ্ধা। সিবিলাক দুজনৰ বলবীৰ্য্যৰ ওপৰত জৰাসন্ধৰ অটল বিশ্বাস। দুয়োজনেই উপস্থিত ৰণ-যাত্ৰাত যোগ দিছিল হি। পিচে, মথুৰা নগৰ অৱৰুদ্ধ হৈ থাকোঁতেই, সিফালে হংস নামে এজন ৰজাক ৰণত ঘটাই বলৰামে বধ কৰে। এই হংস-বধ বাতৰি পাই, হংসৰ প্ৰিয়তম লগৰীয়া বন্ধু ডিম্বকে হতাশ হৈ যমুনাত জঁাপ দি আত্ম-বিসৰ্জ্জন দিলে।[৩] তাৰ পাচত, প্ৰকৃত ঘটনাৰ সম্ভেদ্ পাই, প্ৰকৃত হংসও তেওঁৰ শোকত দেহত্যাগ কৰা বন্ধু ডিম্বকৰ অনুগামী হল। সেই বিষম বাতৰিয়ে জৰাসন্ধক বৰকৈ বিচলিত কৰি পেলালে। সদৌশেহত, তেওঁ স্ব-ইচ্ছাৰে মথুৰা আক্ৰমণ উঠাই লৈ, সেই যাত্ৰাত মৰণান্তিক শোক-সন্তাপ আৰু পৰিতাপেৰে নিজ ৰাজ্য মগধলৈ উলটি গল। কৃষ্ণ-কৌশলত মুক্তিলাভ কৰি মথুৰা আকৌ মুকলিমুৰীয়া হল।

কিন্তু, সিমানতে মথুৰাৰ অপায়-অমঙ্গল নিৰ্ম্মূলকৈ নখণ্ডিল। প্ৰথম বাৰত বিফলমনোৰথ হোৱাত জৰাসন্ধৰ অভিযান চতুৰ্গুণে চৰি উঠিল। তেওঁ অলপ পাচতে আকৌ মথুৰা আক্ৰমণৰ আয়োজনত ধৰিলে, আৰু ওপৰা-উপৰিকৈ

(১) জৰাসন্ধৰ মথুৰা আক্ৰমণত শ্ৰীকৃষ্ণই যাদৱৰ ঘাই সেনাপতিৰ বাব লৈছিল। আৰ্য্যাৱৰ্ত্তত সেনাপতি বাবৰ এয়ে প্ৰথম-সৃষ্টি। কৃষ্ণ-নেতৃত্বৰ-অনুকৰণৰ ফলত হে শিশুপাল জৰাসন্ধৰ ঘাই সেনাপতি হয়। ইয়াৰ আগেয়ে আৰ্য্য ক্ষত্ৰিয় বীৰসকলে সমভাৱে সেনানেতাৰ বাব লোৱাৰ ৰীতি চলিছিল।

(২) সেই কালত হংস নামে আৰু আন এজন ৰজা আছিল। জৰাসন্ধৰ মথুৰা আক্ৰমণৰ সময়ত বলৰামে সেই হংসৰাজক হে আক্ৰমণ কৰি বধ কৰে।

(৩) ডিম্বক হংসৰ সমনীয়া যোদ্ধা আছিল। সততে দুয়ো দুইৰ লগৰীয়া হৈ শত্ৰুবিনাশনত নিযুক্ত হৈছিল। হঠাৎ অপৰ হংসৰাজৰ মৃত্যু-সংবাদত লগৰীয়া হংসবীৰৰ মৃত্যু বুলি ভাবি, ডিম্বক বীৰৰ মনত ভ্ৰম ঘটিল, আৰু সেই আপাহতে তেওঁ পানীত পৰি দেহত্যাগ কৰে। কিয়নো, হংস আৰু ডিম্বকৰ ভিতৰত এনে প্ৰতিশ্ৰুতি আছিল যে, এজনৰ বিহনে আন জনে জীৱন নধৰে।

কেইবাবাৰো ছেগ চাই কেইবাটাও আক্ৰমণ বহুৱাইছিল, কিন্তু শ্ৰীকৃষ্ণৰ বিচক্ষণীয়া ৰণ-কৌশল ভেদিব নোৱাৰি বাৰেপতি জৰাসন্ধ অকৃতকাৰ্য্য হৈ উলটিব লগাত পৰে।

ইতিমধ্যত জৰাসন্ধই কালযৱন নামে এজন যৱন ৰজাক[1] কৃষ্ণৰ বিৰুদ্ধে যাত্ৰা কৰাইছিল। সেই কালত কালযৱন এজন প্ৰতাপী ৰজা আছিল। তেওঁ বিস্তৰ সুশিক্ষিত সৈন্যৰে সৈতে মথুৰা আক্ৰমণ কৰিবলৈ অহা দেখি, অসাধাৰণ ৰণপণ্ডিত শ্ৰীকৃষ্ণই তেওঁৰে সৈতে সসৈন্যে ৰণ নিদি, অন্য অদ্ভুত কৌশলেৰে শত্ৰু বিনাশনৰ উপায় উদ্ভাৱন কৰিলে। কিয়নো, সন্মুখসংগ্ৰাম পাতিলে তাৰ দ্বাৰাই তাকৰীয়া যাদৱ সৈন্য ক্ষয় কৰা হব মাথোন, যৱন সৈন্যৰ বিশেষ ক্ষতি কৰিব পৰা নাযাব। তদুপৰি, ৰণত লিপ্ত বুলিও, করুণাময় শ্ৰীকৃষ্ণই পাৰ্য্যমানে বিনা-ৰক্তপাতেৰে হে ৰণ-জয় কৰিবলৈ বিচাৰে।[2] ইত্যাদি কাৰণত কৌশলী কৃষ্ণই অকলে ছদ্মবেশেৰে গৈ আন্ধাৰ ৰাতি শত্ৰুদুৰ্গত সোমালেগৈ। আনে তৰ্কিব পৰা নাছিল যদিও, কৃষ্ণপ্ৰাণ-পিপাসু কালযৱনে কৃষ্ণক ততালিকে চিনিলে। চিনি পোৱা মাত্ৰকে সেই কালান্তক শত্ৰুৰে উত্ৰাৱল চিতেৰে দুই-বাহু মেলি কৃষ্ণক ধৰিবলৈ খেদি নিলে। কৃষ্ণই ধৰা নিদি, থিতাতে ছঁয়া কাটি, অথচ গা দেখুৱাই, আঁতৰি গৈছে, উদ্ধাউল কালযৱনে পিচে পিচে খেদি নিছে। সেই অভাৱনীয় কৌশলেৰে শ্ৰীকৃষ্ণই কালযৱনক তেওঁৰ সৈন্যৰ মাজৰপৰা ক্ৰমাৎ নিলগাই নি নি এটা আন্ধাৰ গুহাত প্ৰৱেশ কৰিলেগৈ। কালযৱনেও তেওঁৰ পিছে পিচে খেদি গৈ সেই গুহাত সোমালগৈ। তেতিয়া সেই গুহাত প্ৰস্তৰ-শয্যাত ধ্যান-নিদ্ৰাত বাহ্যিকজ্ঞানশূন্য হৈ পৰি থকা এজন ঋষিক দেখা পাই, কালযৱনে খেদি গৈ কৃষ্ণভ্ৰমত, সেই নিদ্ৰিত ঋষিক গোৰ মাৰি বাগৰাই পেলাই লৈ হেচা মাৰি ধৰিলে।[3] প্ৰাণায়ামত অভ্যস্ত আৰু শৰীৰ-ৰক্ষক ব্যায়াম আদি ক্ৰিয়াত সুপাৰ্গত ঋষিয়ে ততালিকে উলটি শত্ৰুক তল পেলাই লৈ, তাৰ ওপৰত উঠি থিয় দিলে। অগ্নিশৰ্ম্মা ঋষিৰ কোপদৃষ্টিয়ে কালযৱনক তবধ লগালে। সেই ঋষিৰ নাম মুচুকুন্দ, তেওঁ ইক্ষ্বাকু কুলত মহাত্মা মান্ধাতাৰ ঔৰসত জন্ম পৰিগ্ৰহ কৰে।[4] সেই ছেগতে ঠেকত পেলাই লৈ সুকৌশলী শ্ৰীকৃষ্ণই কালযৱনক নিপাত কৰিলে।[5] তাত পাচত, মুচুকুন্দৰ শ্ৰদ্ধা-ভক্তিত তুষ্ট হৈ, ভক্তিতত্ত্ব-জ্ঞান দানেৰে তেওঁৰ মনৰপৰা অবিবেক বিদূৰিত কৰি, আৰু তেওঁক গন্ধমাদন পৰ্ব্বতত গৈ তপস্যা কৰিবলৈ উপদেশ দি, শ্ৰীকৃষ্ণই কালযৱনৰ মৃত্যু-সংবাদৰ ধ্বনিৰে শত্ৰুদুৰ্গত খলক লগাই দিলেহি। ফলতঃ, কালযৱনৰ সৈন্য-সামন্ত ভয়ত অস্থিৰ হৈ আৰু ছত্ৰভঙ্গ দি পলাই-পত্ৰং দিলে, শ্ৰীকৃষ্ণই আচল শত্ৰুত বাজে আন কাৰো এটোপাও ৰক্তপাত নকৰাকৈ ৰণজয় কৰি উলটি নিজৰ দুৰ্গত সোমালেহি।[6]

---

(১) কালযৱন সম্ভৱতঃ এজন গ্ৰীক্ ৰজা। সেইকালত গ্ৰীচদেশীয় ৰজাই ভাৰতবৰ্ষৰ ঠায়ে ঠায়ে ৰাজত্ব কৰাৰ প্ৰমাণ পোৱা যায়।

(২) মহাভাৰতৰ উদ্যোগপৰ্ব্বত ইয়াৰ মুঠি-মুঠি পটন্তৰ বিদ্যমান আছে।

(৩) নন্বসৌ দূৰমানীয় শেতে মামিহ সাধুবৎ।
ইতি মত্বাচ্যুতং মূঢ়স্তম্পদা সমতাড়য়ৎ॥
স উত্থায় চিৰং সুপ্তঃ শনৈৰুন্মীল্য লোচনে।
দিশো বিলোকয়ন্ পাৰ্শ্বে মদ্ৰাক্ষীদৱস্থিতং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫১ আধ্যা, ৭ম শ্লোক।

(৪) স ইক্ষ্বাকুকুলে জাতো মান্ধাতৃতনয়ো মহান্।
মুচুকুন্দ ইতি খ্যাতো ব্ৰহ্মণ্যঃ সত্যসঙ্গৰঃ।
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫১ আধ্যা, ১০ম শ্লোক।

(৫) হৰিবংশৰ মতে, কালযৱনক শ্ৰীকৃষ্ণই নিপাত কৰিবলৈ নহল। কিয়নো, পিণাকীৰ বৰলাভৰ গুণত কালযৱন মানৱৰ অবধ্য। গতিকে, তেনে এজন অবধ্য বীৰেও জৰাসন্ধৰ অগণন সৈন্যবলৰ লগত যোগ দিয়াত, দূৰদৰ্শী বাসুদেৱে যাদৱবৰ্গ সমন্বিতে মথুৰা পৰিত্যাগ কৰি দ্বাৰকালৈ প্ৰস্থান কৰিলে।
—হৰিবংশ, বিষ্ণুপৰ্ব্ব, ১১৩—১৪ আধ্যা।

(৬) (ক) বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, ৩৪ পৰিচ্ছেদ।
(খ) তপঃশ্ৰদ্ধাযুতো ধীৰো নিঃসঙ্গো মুক্তসংশয়ঃ।
সমাধায় মনঃ কৃষ্ণে প্ৰাবিশদ্গন্ধমাদনং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫২ আধ্যা, ৩য় শ্লোক।

কালযৱনৰ নিধন-সংবাদত মথুৰাবাসীৰ আনন্দৰ সীমা নোহোৱা হল,—লগে লগে শ্ৰীকৃষ্ণৰ অসামান্য বুদ্ধি-কৌশল আৰু বল-বিক্ৰমৰ প্ৰশংসা বৈ-বৈ গল। সেই আনন্দৰ উলাহত ওপঙি যাদৱসকলেও দিনচেৰেক নিশ্চিন্তভাৱে নিয়াইছে, এনেতে আকৌ সিবিলাকক অশান্তিৰ ঢৌৱে আহি পালেহি,—জৰাসন্ধই অগা-পিচাকৈ কেইবাটাও আক্ৰমণত বিফলমনোৰথ হৈ মনৰ ধিক্কাৰত এইবাৰ যদুকুল নিৰ্ম্মূল কৰি মথুৰা উছন নিযাবৰ সঙ্কল্পেৰে পুনৰপি ৰণ-যাত্ৰাৰ বিৰাট আয়োজনত ধৰিলে। এইবাৰ জৰাসন্ধই সদৌ তলতীয়া আৰু শৰণীয়া ৰজাবিলাকৰপৰাও সৈন্যবল সংগ্ৰহ কৰি লৈ, নিজৰ একুৰি-তিনি অক্ষৌহিণী সেনানীৰে সৈতে ৰণযাত্ৰালৈ ধীৰ আৰু স্থিৰভাৱে আগ বাঢ়িলে। সেই যাত্ৰাত চেদীৰাজ্যৰ অধিপতি শিশুপাল[১] জৰাসন্ধৰ ঘাই সেনাপতিৰূপে আগৰণুৱা হৈছিল।

যদুকুল নিৰ্ম্মূল কৰি মথুৰা উছন নিযাবলৈ জৰাসন্ধ দৃঢ়-প্ৰতিজ্ঞ হোৱা আৰু সেই অনুসৰি তেওঁ ৰণযাত্ৰাৰ বিপুল আয়োজন কৰাৰ সম্বেদ্ পাই, যাদৱসকল আৰু সদৌ মথুৰাবাসী আতঙ্কত অস্থিৰ হৈ পৰিল। আন কি, বুঢাৰজা উগ্ৰসেন পৰ্য্যন্ত নানা আশঙ্কাত শেঁতা পৰিল। সেই আসন্ন আপদৰ কালত স্থিৰমতি শ্ৰীকৃষ্ণ আকৌ ১৮ ফৈদ যাদৱ বংশধৰৰে সৈতে আলোচনাত বহিল। উদ্ধাৰৰ বিবিধ উপায় আলোচনা কৰি সিবিলাকে কোনো এটাৰ পাৰ উলিয়াব নোৱাৰিলে। কিয়নো, আগৰ কেইবাৰৰ দৰে টানিমানি মাহচেৰেকলৈ ভিতৰৰপৰা দুৰ্গৰক্ষা কৰি ঠাৱৰিব পাৰিলেও, তাৰ পাচত জৰাসন্ধৰ অক্ষয় সৈন্যবলৰ আগত বহুপৰ টিকিব পৰাটো অসম্ভৱ যেন দেখা গল[২]। গতিকে, সুদূৰদৰ্শী অসাধাৰণ ৰাজনীতিজ্ঞ কোঁৱৰ শ্ৰীকৃষ্ণৰ পৰামৰ্শমতে, সদৌশেহত যাদৱসকল এই সিদ্ধান্তত উপস্থিত হলগৈ যে, সিবিলাকে অগত্যা মথুৰা পৰিত্যাগ কৰি আন কোনো নিৰাপদ ঠাইলৈ উঠি যোৱাই শ্ৰেয়ঃ; সেয়ে হলেই সিবিলাকো শত্ৰুৰ গৰাহৰপৰা সাৰিব, আৰু জন্মভূমি মথুৰাও অঙ্কক্ষত নোহোৱাকৈ ৰক্ষা পৰিব।

সেই সিদ্ধান্ত গৃহীত হোৱাৰ পাচত, যাদৱসকলে স্বোপাৰ্জ্জিত অমূল্য ধন-ৰত্ন-সম্পত্তি সিবিলাকৰ মাজত ভাগ-বঁটৰা কৰি লৈ, চিৰকাললৈ মথুৰাৰপৰা আঁতৰ হৈ, যাদৱনেতা শ্ৰীকৃষ্ণৰ নিৰ্দ্দেশ অনুসৰি পছিমৰ ফালে দূৰ-দূৰৈ হৈ গুচি গল। গৈ গৈ সিবিলাক সাগৰৰক্ষিত দ্বাৰকা দুৰ্গ পালেগৈ। সমুখৰ ফালে ৰৈৱতক পৰ্ব্বতৰ দ্বাৰাই পৰিবেষ্টিত এই-দুৰ্গৰ জীৰ্ণ-সংস্কাৰ কৰি লৈ, তাতে যাদৱ-সকল থিতাপি হল গৈ[৩]। যাদৱবৰ্গক দ্বাৰকাত নিৰাপদ-কৈ থিতাপি কৰি থৈ, সিবিলাকে লৰা-লৰিৰ বেগত এৰি-যোৱা বাকী ধন-ৰত্নাদি আৰু কালযৱনৰপৰা লুটি লোৱা কৃষ্ণৰ অতুল ধন-ৰত্ন-সম্পত্তি সংগ্ৰহ কৰি নিবলৈ বুলি, ৰাম কৃষ্ণ উলটি মথুৰালৈ আহিল। সিবিলাকে সেই ৰত্ন-ৰাশি পাৰ্য্যমানে সংগ্ৰহ কৰি লৈ দ্বাৰকালৈ উলটিছিল, এনেতে অকস্মাৎ জৰাসন্ধই তেওঁৰ অগণন সৈন্যবলেৰে সিবিলাকক আগচি ধৰিলে গৈ। সেই আসন্ন আপদত নিৰুপায় হৈ অকলশৰীয়া ৰাম-কৃষ্ণই আদবাটতে সেই সংগৃহীত ধন-ৰত্ন পৰিত্যাগ কৰি অন্য পন্থা চিন্তিলে। জৰাসন্ধয়ো ৰাম-কৃষ্ণক ঠেকত পেলাই লৈ সেই ছেগতে সিবিলাকক ধৰি বন্দী কৰিবৰ অভিপ্ৰায়ে খেদি নিলে, ৰাম কৃষ্ণই অগত্যা প্ৰবৰ্ষণ নামে বৰ ওখ পৰ্ব্বতত উঠিলে-গৈ। জৰাসন্ধই সিবিলাকক পাত্-পাত্কৈ বিচাৰি নাপাই, শেহত নিজৰ অসংখ্যাত সৈন্যৰে সৈতে পৰ্ব্বতটো আগুৰি ধৰি, ইন্ধন কাঠৰ লগনি-খৰিৰে সৈতে পৰ্ব্বতৰ কেইওকালৰপৰা জুই লগাই দিলে। বিচক্ষণ বুদ্ধিৰ শ্ৰীকৃষ্ণৰ

(১) শিশুপাল শ্ৰীকৃষ্ণৰ পেহীয়েকৰ পুতেক। সৰুৰে-পৰা তেওঁ কৃষ্ণ-বিৰোধী আৰু কৃষ্ণ-নিন্দুক আছিল। গতিকে, কৃষ্ণৰ হাতত কোনোবা দিনা উধত স্বভাৱী শিশুপালৰ প্ৰাণান্তক বিপদ ঘটিব পাৰে, সেই আশঙ্কাত পেহীয়েকে পুতেকৰ হৈ সততে কৃষ্ণৰ ওচৰত ক্ষমা ভিক্ষা কৰিছিল। সেই আপাহতে শিশুপালৰ অপৰাধ দিনে এশটা মৰবিবলৈ পেহীয়েকৰ ওচৰত শ্ৰীকৃষ্ণ প্ৰতিশ্ৰুত হয়।

(২) বিষ্ণুপুৰাণ, হৰিবংশ আৰু ভাগৱত পুৰাণমতে জৰাসন্ধই কৃষ্ণৰ বিৰুদ্ধে যাত্ৰা কৰি, ১৮ বাৰ মথুৰা আক্ৰমণ কৰে, আৰু প্ৰতিবাৰেই অকৃতকাৰ্য্য হৈ উলটিব লগাত পৰে।

(৩) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ১১৪ আধ্যা।

অদ্ভুত কৌশলৰ গুণত শত্ৰুপক্ষৰ কেৱে নেদেখাকৈ ৰাম-কৃষ্ণ তাৰপৰা কোনোবা এপাকেদি ওলাই গুচি গল; কিন্তু জৰাসন্ধই ভাবিলে যে, ৰাম-কৃষ্ণক সেই অগ্নিয়ে তাতে পুৰি ছাই কৰিলে[১]! সিমানতে, পূৰ্ণমনোৰথ জ্ঞান কৰি, জৰাসন্ধই হৃষ্ট চিত্তেৰে আকৌ নিজ ৰাজ্যলৈ প্ৰত্যাগমন কৰিলে। এয়ে শ্ৰীকৃষ্ণৰ বিৰুদ্ধে জৰাসন্ধৰ সদৌশেহবাৰৰ যাত্ৰা।

সপ্তম আধ্যা

দ্বাৰকা

ভাৰতবৰ্ষৰ অতি-পছিম প্ৰান্তত, বৰ্ত্তমান গুজৰাট প্ৰদেশৰ সিপাৰে, আৰব সাগৰৰ উত্তৰ-পূব ঘূলিত কুশস্থলী নামে এটি পৰম ৰমণীয় সৰু দ্বীপ আছিল। সেই দ্বীপতে এটি দুৰ্গৰে সৈতে এখনি পুৰণি এৰা-নগৰ আছিল। সেই নগৰখনিৰ উত্তৰ-পছিম-দক্ষিণ প্ৰান্ত সাগৰৰ দ্বাৰাই পৰিবেষ্টিত; আৰু পূব সীমা ৰৈৱতক[২] নামে থিয় পৰ্ব্বত শ্ৰেণীৰে সৈতে সুৰক্ষিত। শ্ৰীকৃষ্ণই যাদৱসকলক মথুৰাৰপৰা আঁতৰাই নি নি এই কুশস্থলী পোৱালেগৈ। তাতে তেওঁ সেই পুৰণি নগৰৰ জীৰ্ণসংস্কাৰ কৰি, দ্বাৰাৱতী নামে এখনি বিতোপন যাদৱ-নগৰ স্থাপন কৰিলে। পাচত, সেই দ্বাৰাৱতী নগৰ দ্বাৰকা নামে অভিহিত হয়।

দ্বাৰকা নগৰ সৰ্ব্বতোভাৱে সুৰক্ষিত কৰিবৰ নিমিত্তে শ্ৰীকৃষ্ণই ৰৈৱতক পৰ্ব্বতৰ ২১টা টিঙত ২১টা নগৰ ৰক্ষক পৰীয়া-কোঁঠ পাতি, তাত ১৮ ফৈদৰ ১৮ জন যাদৱ কোঁৱৰৰ অধীনত সুসজ্জিত ৰণুৱা সৈন্যৰে সৈতে ১৮টা সৰু সৰু চোৰাংচোৱা-কোঁঠ বা 'চন্তৰি-গাৰ্ড' বহুৱাই দি, আৰু বাকী তিনটা কোঁঠ তিনিখন ৰাজদুৱাৰ কৰি, নগৰখন বাহিৰৰপৰা শত্ৰুৰ আক্ৰমণৰ অতীত কৰি সজালে।[৩] তাৰ পাচত, সেই নতুন নগৰ দ্বাৰাৱতীৰ অন্তৰ্গত গোমতী নামে পৰ্ব্বতৰ নামনিত মনোমতকৈ ঘৰ-বাৰী পাতি লৈ, যাদৱ-সকলে[৪] মহাশান্তিৰে সৈতে বসতি কৰিবলৈ ধৰিলে।

দ্বাৰকাত শ্ৰীকৃষ্ণই যাদৱসকলক অকল বাহ্যিক আপদৰ বিৰুদ্ধে সুৰক্ষিত কৰিছিল এনে নহয়, তেওঁ পাৰিবাৰিক, সামাজিক, ৰাজনৈতিক আৰু আধ্যাত্মিক বিষয়ক নীতি-নিয়ম-নিৰ্ব্বন্ধেৰে সিবিলাকক ভিতৰি এটা উন্নত জাতিৰূপে গঢ়িবলৈকো সুব্যৱস্থাৰ ত্ৰুটী কৰা নাছিল। সেই অৰ্থে, তেওঁ যাদৱসকলৰ ভিতৰত এটি অতি উন্নত ধৰণৰ শাসন-পদ্ধতি প্ৰচলন কৰাইছিল। সেইমতে, ৰজা নামমাত্ৰ।[৫] সদৌ ৰাজকাৰ্য্য সম্মিলিত প্ৰজা-প্ৰতিনিধিৰে সৈতে গঠিত এখন ৰাজ-সভাৰ দ্বাৰাই পৰিচালিত হৈছিল। ১৮ ফৈদ যাদৱৰ ১৮ জন নিৰ্ব্বাচিত প্ৰতিনিধিৰ উপৰিও, সুযোগ্য প্ৰজা-প্ৰতিনিধিৰ সদস্যৰে সৈতে এই ৰাজসভা গঠিত হৈছিল। এই ৰাজ-সভাৰ সৰহভাগ সদস্যৰ অভিমতানুযায়ী সিদ্ধান্তমতে সকলো ৰাজকাৰ্য্য চলিছিল। মুঠতে ধৰিবলৈ গলে, সেই শাসন-পদ্ধতি এতিয়াৰ-অতি উন্নত আৰু সুসভ্য প্ৰজা-তন্ত্ৰ শাসন-প্ৰণালীৰ আৰ্হি বুলিব পাৰি।

এইদৰেই বাহিৰে ভিতৰে এটি অভিনৱ উন্নত ধৰণৰ শাসন-পদ্ধতিৰে সৈতে শ্ৰীকৃষ্ণই যাদৱসকলক এটি অতি

---

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫২ আধ্যা, ৫—১১ শ্লোক।

(২) ৰৈৱতক পৰ্ব্বতৰ দীঘ তিনি যোজন, প্ৰস্থ এক যোজন, টিং একুৰি-এটা।

(৩) মহাভাৰত, সভাপৰ্ব্ব, ১৪ আধ্যা।

(৪) যদুকুল সেই সময়ত ১৮০০০ ওঠৰ হাজাৰ যাদৱৰ সমষ্টি। সেই সমষ্টিৰ ভিতৰত শ্ৰীকৃষ্ণ, বলভদ্ৰ, চক্ৰদেৱ, সাত্যকি, শাম্ব, চাৰুদেষ্ণ আৰু তেওঁৰ ভায়েক এই সাতজন ৰথী; কৃতবৰ্ম্মা, অনাধৃষ্টি, সমধীক, সমিতিঞ্জয়, কঙ্ক, শঙ্কু আৰু কুন্তি এই সাতজন মহাৰথ, অন্ধক আৰু ভোজ ফৈদীয়া দুজন বংশধৰ প্ৰমুখ্যে দহজন মহাবীৰ।

(৫) ভোজফৈদীয়া উগ্ৰসেনেই সেই ৰজা। দ্বাৰকা শ্ৰীকৃষ্ণৰ দ্বাৰাই প্ৰতিষ্ঠিত ৰাজ্য যদিও, ৰাজনৈতিক গভীৰ গৱেষণাৰ ফলত, শ্ৰীকৃষ্ণ তাতো ৰজা নহলগৈ। কলিতাৰ্থক বংশপৰম্পৰাকৈ প্ৰচলিত লোকাচাৰ অনুসৰি, পূৰ্ব্বশাপগ্ৰস্তৰ আপাহত বৃষ্ণি ফৈদৰ কোঁৱৰ তেতিয়ালৈকে যাদৱ ৰাজ-পাটত উঠা নাছিল। কেইবা পুৰুষৰো পাচত প্ৰদ্যুম্নৰ পৌত্ৰ, শ্ৰীকৃষ্ণৰ প্ৰপৌত্ৰ, উষা-অনিৰুদ্ধৰ পুত্ৰ, ব্ৰজ নামে বৃষ্ণি কোঁৱৰে ৰাজ-সিংহাসন গ্ৰহণ কৰিহে সেই লোকাচাৰ মূৰ মাৰে।

উন্নত সভ্য জাতি কৰি জিলিকাই তুলিলে। বাস্তৱতে, সেই কালত আৰ্য্য আৰু অনাৰ্য্য জাতিবিলাকৰ ভিতৰত যদুবংশৰ সমনীয়া উন্নত আৰু সুসভ্য বংশ বা জাতি বুলি এটা দ্বিতীয় নাছিল।—নিৰ্ম্মল সৰোবৰৰ মাজত পদুমৰ ঢোপা কলিটিৰ দৰে, সেই অদ্বিতীয় উন্নত সভ্যবংশৰ মাজত কুলৰ তিলক স্বৰূপে শ্ৰীকৃষ্ণ জিলিকি আছিল। কিন্তু, তেওঁ যি জাতি, বংশ কুল আৰু সমাজৰ মাজত জিলিকি-ছিল, তাৰে সৈতে তেওঁৰ বিশেষ ঘনিষ্ঠ সম্পৰ্ক নাছিল। পানীতে জিলিকি পানীৰে সৈতে ঘনিষ্ঠ সম্বন্ধ নৰখা পদুমৰ দৰে, যাদৱ সমাজৰ মাজত জিলিকি থাকিও শ্ৰীকৃষ্ণ সেই সমাজৰ লগত কোনো বিষয়ত লিপ্ত নাছিল। কৃষ্ণৰ পৰামৰ্শ মতেই দ্বাৰকাত ৰাজকাৰ্য্যৰ পৰ্য্যালোচনা হয়, কিন্তু কৃষ্ণ সেই আলোচনাৰ মূলত বা ফলত নাই, কৃষ্ণৰ অনুমোদনমতেই দ্বাৰকাৰ শাসন-কাৰ্য্য পৰিচালিত হয়, কিন্তু কৃষ্ণক সেই কাৰ্য্যৰ গুৰিত বা আগত দেখা নাযায়, কৃষ্ণৰ অনুজ্ঞা অনুসৰিয়েই দ্বাৰকাৰ ৰক্ষণাবেক্ষণ কাৰ্য্য সম্পাদিত হয়, কিন্তু কৃষ্ণ সেই ৰাজকীয় কাৰ্য্যৰ গৰাকী নহয়।[১] এইদৰেই অদ্ভুত প্ৰতিভাশালী আৰ্হি-পুৰুষ শ্ৰীকৃষ্ণ ৰজা নহৈও দ্বাৰকাৰ আচল ৰজা আছিল।[২]

অষ্টম আধ্যা

প্ৰথম ছেদ

ৰাম-কৃষ্ণৰ বিয়া

ওপৰত উনুকিয়াই অহা হৈছে যে, অৱন্তিপুৰত সান্দীপনি ঋষিৰ ওচৰত ধনুৰ্ব্বিদ্যা আৰু অস্ত্ৰ শস্ত্ৰাদিৰ যি শিক্ষা হৈছিল, তাতে শ্ৰীকৃষ্ণৰ অধ্যাপনা সাঙ্গ হোৱা নাছিল। সেইছোৱা তেওঁৰ প্ৰাথমিক শিক্ষা হে। সেই আদিশিক্ষাৰ কালত তেওঁ ৬৪ দিন মাথোন অধ্যাপনা কৰোঁতেই জৰাসন্ধই মথুৰা আক্ৰমণ কৰিবলৈ আগ বাঢ়ে; আৰু সেই আক্ৰমণ ওফৰাই মথুৰা ৰক্ষা কৰিবৰ উদ্দেশে ৰাম-কৃষ্ণ কি সূত্ৰে অৱন্তিপুৰৰপৰা লৰালৰিকৈ উলটিব লগাত পৰিছিল, সেই বিষয়ে ওপৰত উনুকিওৱা হৈছে। গতিকে, সেই যাত্ৰাত শ্ৰীকৃষ্ণই অধ্যাপনাৰ আভাস মাথোন লাভ কৰি, উচ্চ শিক্ষালৈ বাট ধৰি লয়। ইতিপূৰ্ব্বে বাসুদেৱৰ শিক্ষাৰ কোনো ব্যৱস্থা হোৱা নাছিল, নন্দালয়ত শিক্ষাৰ বয়স নৌ পাওঁতেই, নিচেই চেমনীয়া কালতে নন্দ-নন্দন গোপাল ব্ৰজ-বৃন্দাবন এৰি মথুৰালৈ প্ৰত্যাগমন কৰিব লগা হয়। গোকুলৰ ওমলনি, ব্ৰজৰ ৰং ধেমালি, বৃন্দাবনৰ গৰখীয়াশালি, কালিন্দীৰ গোপিনী-বিলাস ইত্যাদি শ্ৰীকৃষ্ণৰ আত্মলীলা মাথোন।

এতিয়া, মথুৰা নগৰ[৩] শত্ৰুৰ আক্ৰমণৰপৰা মুক্ত কৰি, যাদৱসকলক জৰাসন্ধৰ আগন্তুক বিষম গৰাহৰপৰা নিলগকৈ সৰুৱাই জ্ঞাতিবৰ্গক সুৰক্ষিত দ্বাৰকা ৰাজ্যত নিৰাপদকৈ থিতাপি কৰাই লৈ, সুশাসনপদ্ধতিৰে সৈতে সিবিলাকৰ আভ্যন্তৰিণ অৱস্থা উন্নতভাৱে টনকিয়াল কৰি উঠি, জ্ঞানপিপাসু শ্ৰীকৃষ্ণই উচ্চশিক্ষা লাভৰ উদ্দেশে মন মেলিলে। সেই অৰ্থে, তেওঁ পোনেই আঙ্গিৰস বংশৰ ঘোৰ নামে ঋষিৰ ওচৰত ভালেমান দিন তপস্যা-পদ্ধতি শিক্ষা কৰাৰ বিষয়ে ওপৰত কৈ অহা হৈছে। তাৰ পাচত, সৃষ্টি-তথ্য-পন্থাজ্ঞান উপলব্ধিৰ উদ্দেশে দহ বছৰ কাল আত্ম চিন্তালোচনা আৰু বেদশাস্ত্ৰাদি সমুদায় অধ্যয়ন

---

(১) শ্ৰীকৃষ্ণ যে এজন মহাত্যাগী পৰমপুৰুষ আছিল, তাৰ বিশিষ্ট প্ৰমাণ ইয়াতকৈ আৰু কি হব পাৰে? তেওঁ নিস্পৃহ কৰ্ম্মী। কৰ্ম্ম তেওঁৰ কৰ্ত্তব্য, তাৰ ফল ভোগলৈ তেওঁৰ স্পৃহা নাই। সেই যুগৰ, অৰ্থাৎ অন্ত্যদ্বাপৰৰ সেই পৰমপুৰুষ মাধৱৰ সেই মহৎ আৰু পবিত্ৰ আদৰ্শৰ কল্পনাৰেই এই যুগৰ, অৰ্থাৎ কালিৰ কলিৰ মহাপুৰুষ মাধৱদেৱে তেওঁৰ 'ভক্তি-ৰত্নাৱলী'ত "ভক্তিত নিস্পৃহ যিটো, সেহি ভকতক নমোঁ" এই অমৰ পদফাঁকি ৰচনা কৰি চৰিতাৰ্থ হৈছিল।

(২) সেই আপাহতে শ্ৰীকৃষ্ণ 'দ্বাৰকেশ্বৰ' নামেও অভিহিত। বংশ-শাপগ্ৰস্ত বৃষ্ণি কৌৰৱ বাসুদেৱে ৰাজপাট পায়ো তাক প্ৰত্যাহাৰ কৰাৰ কথা ওপৰত আৰু এবাৰ উনুকিওৱা গৈছে।

(৩) নগৰ অৰ্থে সেই কালত ৰাজধানী সম্বন্ধিতে গোটেই ৰাজ্যক বুজাইছিল।

কৰি বাসুদেৱে হিমালয়াশ্ৰমত তপস্যা[১] কৰেগৈ। সেই তপস্যাতে তেওঁ উচ্চশিক্ষা সাঙ্গ কৰে। তাৰ ফলত, নিখিলবেদ-বেদাঙ্গবিশাৰদ এজন অদ্বিতীয় পণ্ডিত হৈ, শ্ৰীকৃষ্ণদেৱ দ্বাৰকালৈ উলটিল।

শিক্ষাৰ পাচত সংসাৰ। সংসাৰত সোমাবৰ উপযোগীকৈ ৰাম-কৃষ্ণই পূৰ্ণশিক্ষা আৰু পূৰ্ণযৌৱন প্ৰাপ্ত হৈ উঠিল। সেই অনুযায়ী আনৰ্তাধিপতি শ্ৰীমান্ ৰৈৱতৰ স্বকীয় কন্যা ৰেৱতীৰে সৈতে বলৰামৰ বিবাহ সম্পাদিত হয়।[২] তাৰ পাচত, শ্ৰীকৃষ্ণৰ বিবাহৰ[৩] বিষয়ে চিন্তালোচনা কৰা হয়। এনেতে, ইফালে ভাৰতবৰ্ষৰ অতি পূব চুকত বিদৰ্ভা[৪] ৰাজ্যৰ অধিপতি ভীষ্মক[৫] ৰজাই তেওঁৰ ৰূপে গুণে বিভূষিতা সুশিক্ষিতা একেটি কন্যা ৰুক্মিণীৰ[৬] স্বয়ম্বৰ পাতিলে। কিন্তু, তৎপূৰ্ব্বৰপৰা ৰুক্মিণীদেৱী আৰু শ্ৰীকৃষ্ণদেৱ দুয়ো দুইৰো ৰূপ-লাৱণ্য আৰু গুণাগুণৰ বাতৰি পাই, দুয়ো দুইকো মনে-প্ৰাণে ভজিছিল, দুইৰো প্ৰতি দুইৰো আন্তৰিক আসক্তি বাঢ়ি আহিছিল[৭]। সেই কথাৰ সম্ভেদ্ পাই, কৃষ্ণশত্ৰু জৰাসন্ধৰ পৰামৰ্শমতে ৰুক্মিণীৰ অগ্ৰজ ৰুক্মী কৌৰৱে কৃষ্ণনিন্দুক শিশুপাললৈ ভনীয়েকক বিয়া দিয়াৰ উদ্দেশে, পিতাক ভীষ্মক ৰজাৰ দ্বাৰাই স্বয়ম্বৰ ঘোষণা কৰাই দি, ভাৰতৰ সদৌ ৰজা আৰু ৰাজন্যবৰ্গক নিমন্ত্ৰণ কৰিলে, কিন্তু শ্ৰীকৃষ্ণৰ বংশ-কুটুম্ব যাদৱসকলক, ঘাইকৈ বৃষ্ণি ফৈদৰ কোৱঁৰসকলক নিমন্ত্ৰণ নকৰিলে। তাৰ সম্ভেদ্ পাই, ৰুক্মিণীদেৱীয়ে গোপনে এজন বিশিষ্ট আৰু বিশ্বস্ত ব্ৰাহ্মণক শ্ৰীকৃষ্ণৰ কাষলৈ কটকী পঠিয়ালে। অনিমন্ত্ৰিত হোৱাত বিষম পাই, বিশেষকৈ ৰুক্মিণীৰ আসক্তিৰ দ্বাৰাই আকৃষ্ট হৈ, আৰু তেওঁৰ গুপ্তচৰৰ জৰিয়তে প্ৰেৰিত পত্ৰৰ প্ৰেৰণাত উত্তেজিত হৈ শ্ৰীকৃষ্ণই যাদৱসকলৰে সৈতে সদলে আৰু সসৈন্যে বিনানিমন্ত্ৰণে ৰুক্মিণী-স্বয়ম্বৰত উপস্থিত হবলৈ সংকল্প কৰিলে। নিমন্ত্ৰণ ঘোষণাত দিন ধাৰ্য্য হোৱা মতে যথাসময়ত মহা আড়ম্বৰেৰে ভীষ্মক

---

(১) সেই কালত ওথ-থাপৰ ব্ৰাহ্মণ-ক্ষত্ৰিয়সকলৰ উচ্চশিক্ষাৰ অতি উচ্চ অংশক তপস্যা বোলা হৈছিল। এই বিষয়ে ইতিপূৰ্ব্বৰ টীকাত উল্লকিওৱা গৈছে।

(২) আনৰ্ত্তাধিপতিঃ শ্ৰীমান ৰৈৱতো ৰেৱতী সুতাং।
ব্ৰহ্মণা চোদিতঃ প্ৰাদাৎ বলায়েতি পুৰোদিতং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫২ আধ্যা, ১২ শ্লোক।

(৩) ভগবানপি গোবিন্দ উপযেমে কুৰূদ্বহ।
বৈদৰ্ভীং ভীষ্মকসুতাং শ্ৰিয়ো মাত্ৰাং স্বয়ম্বৰে॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫২ আধ্যা, ১৩ শ্লোক।

(৪) এতিয়াৰ শদিয়া অঞ্চল। তেতিয়া এই বিদৰ্ভা ৰাজ্যৰ ৰাজধানীৰ নাম কুণ্ডিল্য নগৰ আছিল। শদিয়াত কুণ্ডিলপানী নামে চিৰপ্ৰবাহিত পৰ্ব্বতীয়া জুৰি এটিয়ে আজিও তাৰ চিনাকি দিব লাগিছে।

(৫) আধুনিক প্ৰত্নতত্ত্ববিদ্‌সকলৰ কোনো-কোনোৱে ভীষ্মক ৰজাক ভোজবংশী যাদৱ কৌৱৰ বুলি আখ্যা দিয়ে, সেই সূত্ৰত ভীষ্মক শ্ৰীকৃষ্ণৰ কুটুম্ব হয়।

(৬) ভীষ্মক ৰজাৰ ৰুক্মী, ৰুক্মৰথ, ৰুক্মবাহু, ৰুক্মকেশ, ৰুক্মমালী নামে পাঁচজন পুত্ৰ, আৰু ৰুক্মিণী নামে এটি অতি ৰূপৱতী আৰু গুণৱতী কন্যা আছিল। যেনে,—

ৰাজাসীদ্ভীষ্মকো নাম বিদৰ্ভাধিপতিৰ্মহান।
তস্য পঞ্চাভৱন্ পুত্ৰাঃ কন্যৈকা ৰুচিৰাননা॥
ৰুক্ম্যগ্ৰজো ৰুক্মৰথো ৰুক্মবাহুৰনন্তৰঃ।
ৰুক্মকেশো ৰুক্মমালী ৰুক্মিণ্যেৰাংস্বসাসতী॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫২ আধ্যা, ১৭ শ্লোক।

(৭) পিতৃগৃহলৈ যাতায়াত কৰা লোকজনৰ মুখে মুকুন্দ শ্ৰীকৃষ্ণৰ ৰূপ, গুণ, ঐশ্বৰ্য্য আৰু প্ৰবল সামৰ্থ্যৰ বিষয়ে বৰ্ণনা শুনি শুনি লাৱণ্যৱতী ৰুক্মিণীদেৱীয়ে তেওঁকেই স্ব-অনুৰূপ পতি বিবেচনা কৰি মনে-চিতে তেওঁকেই বৰণ কৰিছিল। সিফালে, শ্ৰীকৃষ্ণয়ো সমাগত জনসাধাৰণৰ মুখে ৰুক্মিণীদেৱীৰ অলোকসামান্য ৰূপ, শীল, গুণ, সৎস্বভাৱ আৰু শুভলক্ষণৰ বিষয়ে বিশিষ্ট বৰ্ণনা শুনি, তেওঁক স্ব-অনুৰূপা পত্নী জ্ঞান কৰি তেওঁৰেই পাণিগ্ৰহণ কৰিবলৈ মন কৰিছিল। যেনে,—

সোপশ্ৰুত্য মুকুন্দস্য ৰূপবীৰ্য্যগুণশ্ৰিয়ঃ।
গৃহাগতৈৰ্গীয়মানা স্তং মেনে সদৃশং পতিং॥
তাং বুদ্ধিলক্ষণৌদাৰ্য্য ৰূপশীলগুণাশ্ৰয়াং।
কৃষ্ণশ্চ সদৃশং ভাৰ্য্যাং সমুদ্বোঢ়ুং মনোদধে॥
—শ্ৰীমদ্ভাগৱত দশম স্কন্ধ, ৫২ আধ্যা, ১৭ শ্লোক।

ৰজাই তেওঁৰ কন্যাৰ স্বয়ম্বৰ-উৎসৱ আৰম্ভ কৰি দিলে। নানা ঠাইৰপৰা নিমন্ত্ৰিত ৰজা-ৰাজন্যবৰ্গ গৈ বিদৰ্ভাত সমবেত হলগৈ। শ্ৰীকৃষ্ণয়ো সদলে গৈ ভীষ্মক ৰজাৰ নগৰ সোমাই, ৰুক্মিণীদেৱীয়ে তেওঁৰ প্ৰেম-পত্ৰত[১] দিয়া সন্ধান-সঙ্কেতাদি সাৰোগত কৰি, আচুতীয়াকৈ কুণ্ডিল্য নগৰৰ একাষৰত থিত্ ললেগৈ। সয়ম্বৰৰ দিনা ভীষ্মকনন্দিনী ৰুক্মিণীদেৱীয়ে ইষ্টদেৱতাৰ পূজা সমাপন কৰি উঠি দেৱ-মন্দিৰৰপৰা ওলাই আহিছে; এনে ছেগতে শ্ৰীকৃষ্ণদেৱে তেওঁক হৰণ[২] কৰি ৰথত তুলি লৈ সদলে নিজৰ ৰাজ্যলৈ ওলটা-যাত্ৰা কৰিলে।

---

(১) শ্ৰীকৃষ্ণদেৱলৈ প্ৰেৰিত ৰুক্মিণীদেৱীৰ প্ৰেম-পত্ৰ—"হে ভুৱনমোহন অচ্যুত! আপোনাৰ অনুপম গুণগ্ৰাম আৰু পৰম ৰমণীয় ৰূপমাধুৰীৰ সংবাদ পাই মই মোহিত হৈছোঁ। নাৰীৰ লাজভয়জ্ঞানলৈ আওকাণ কৰি, মই মনে-চিতে আপোনাকেই ভজিছোঁ, আপোনাকেই স্বামী বৰণ কৰিছোঁ। হে নৰশ্ৰেষ্ঠ! আপুনি সাক্ষাৎ নাৰীৰ সুখ আৰু মুক্তিদাতা। আপোনাৰ নিচিনা ৰূপ-যৌৱনসম্পন্ন বিশালকুলসম্ভৱ অতুল তেজস্বী ধনবান বিদ্যাবান নৰলোকমনোহাৰী নৰোত্তমলৈ কোন্ নাৰীৰ আসক্তি নহৈ পাৰে? হে প্ৰাণপ্ৰিয় অচ্যুত! ইয়াকে ভাবি-গুণি মই আপোনাকেই পতিৰূপে বৰণ কৰিছোঁ, আৰু মনে-চিতে এই দেহা আপোনাকেই সমৰ্পণ কৰিছোঁ। এতিয়া, হে বিভো! আপুনি মোৰ এই পিতৃৰাজ্যলৈ শুভাগমন কৰি মোক পত্নীৰূপে গ্ৰহণ কৰোকহি। হে পদ্মপলাশলোচন! শিয়ালে যিৰূপে সিংহৰ ভাগ চুবলৈ কদাপি সাহ নকৰে, সেইৰূপে আপুনি হেন বীৰসিংহৰ ভাগলৈ আগ কৰা মোৰ এই পৱিত্ৰ দেহা যেন কদাপি চেদিপতি নীচমনা শিশুপালে অপৱিত্ৰ হাতেৰে চুবলৈ নেসাহে, আপোনাৰ শ্ৰীচৰণত মোৰ এই মিনতি। দম ঘোষনন্দন শিশুপালৰ নিচিনা সামান্য নৰৰ হাতত যেন আপোনাত অৰ্পিত এই অসামান্যা দেহা পতিত নহয়, আপোনাৰ শ্ৰীপাদপদ্মত মোৰ এই গোহাৰি। হে অজিত! মোৰ অগ্ৰজ ৰুক্মীবীৰৰ প্ৰস্তাৱ মতে মোৰ বিহবিয়ালৈ আৰু পলম নাই, আপুনি অনতিপলমে আহি এই কুণ্ডিল্য চহৰৰ পূব-প্ৰান্তত অন্যৰ অলক্ষিতে থিত্ লওকহি। চলিত প্ৰথামতে বিয়াৰ আগদিনা কন্যাই কুলদেৱতাক দৰ্শন কৰিবগৈ লাগে; সেই উদ্দেশে পুৰীৰ বাহিৰত থিতাপিত পাৰ্ব্বতী দৰ্শনলৈ নিওঁতেই বাটতে আপুনি মোক হৰণ কৰি উদ্ধাৰ কৰিব পাৰিব। শ্ৰীকৃষ্ণপদত ৰুক্মিণীৰ এয়ে শেষ নিবেদন।" এই পত্ৰ কুণ্ডিল্যৰ এজন বিশিষ্ট আৰু বিশ্বস্ত ব্ৰাহ্মণৰ হাতত দ্বাৰকালৈ ৰুক্মিণীদেৱীয়ে গোপনে প্ৰেৰণ কৰে।—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ১৯—৩৬ শ্লোক।

পত্ৰবাহক ৰুক্মিণী-কটকী সুব্ৰাহ্মণে সেই পত্ৰ শ্ৰীকৃষ্ণৰ আগত হুবহু পাঠ কৰি এই বুলি সম্বোধন কৰিলে, "হে যদুপতি! ৰুক্মিণীৰ কথিত এই ৰহস্যৰ কথা সমুদায় আপোনাৰ মনেৰে বিচাৰ কৰি আপোনাৰ যি কৰ্ত্তব্য বোধ হয় তাকে কৰক। যেনে:—

(ক) তদবেত্যাসিতাপাঙ্গী বৈদৰ্ভী দুৰ্ম্মনাভৃশং॥
বিচিন্ত্যাপ্তং দ্বিজং কঞ্চিৎ কৃষ্ণায় প্ৰাহিনোদ্দ্ৰুতং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫২ আধ্যা, ১৯ শ্লোক।

(খ) ইত্যতে গুহ্যসন্দেশা যদুদেব ময়া হৃতাঃ।
বিমৃষ্য কৰ্ত্তুং যচ্চাত্ৰ ক্ৰিয়তাং তদনন্তৰং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫২ আধ্যা, ৩৬ শ্লোক।

এই প্ৰেম-পত্ৰৰ মহিমা অপাৰ-অসাধাৰণ, এই পত্ৰই সম্বন্ধ-সূত্ৰৰূপে ভাৰতবৰ্ষৰ পছিম প্ৰদেশৰ অতি পছিম প্ৰান্তৰ অন্তকোণৰ লগত অতিপূব অসম (তেতিয়াৰ কামৰূপ) প্ৰদেশৰ অতিপূব কোণক একেলগ কৰে। আৰু, অসমত বিশিষ্ট ব্ৰাহ্মণৰ স্থিতি কিমান পুৰণি এই পত্ৰই তাৰো বিশিষ্ট সাক্ষ্য দিয়ে।

(২) সেই কালত আৰ্য্য ক্ষত্ৰিয়বৰ্গৰ মাজত, বিশেষকৈ ৰাজকোঁৱৰসকলৰ ভিতৰত বিবাহ-প্ৰথা দুবিধ প্ৰচলিত আছিল,—এবিধ হৰণ আৰু এবিধ সয়ম্বৰ। বীৰ কোঁৱৰ-সকলে সততে হৰণ প্ৰথা হে আগ্ৰহেৰে গ্ৰহণ কৰে। কন্যা-হৰণত শাস্ত্ৰসঙ্গত কোনো অপৰাধ নঘটে। দৰা-কন্যাৰ মনোমিলন থাকিলে হৰণ আৰু সয়ম্বৰৰ অৰ্থ-উদ্দেশ্য একে বুলি ধৰা যায়। এতেকে, আজিকালিৰ দিনত অসমত 'ছোৱালী-ধৰি-নিয়া' প্ৰথাও গৰ্হিত বা নিন্দিত বা অসভ্যোচিত নহয়, মাথোন দেশাচাৰ আৰু লোকাচাৰৰ পৰিবৰ্ত্তন। কিন্তু, কোনো কোনো সয়ম্বৰত পণ প্ৰণয়নৰ বিশেষত্ব থাকে। সেই পণ সচৰাচৰ কন্যাকৰ্ত্তাৰ দ্বাৰাই নিৰ্দ্দিষ্ট হয়। গতিকে, তেনেকুৱা সয়ম্বৰত বৰ-বাছনিৰ ভাৰ অকল কন্যাৰ স্ব-ইচ্ছাৰ ওপৰত নিৰ্ভৰ নকৰে, তাত কন্যাৰ পিতৃৰ বা কন্যাকৰ্ত্তাৰ নিৰ্ব্বাচনৰ আওপকীয়াকৈ এক্তিয়াৰ চলে, যেনে,—সীতা-সয়ম্বৰ, দ্ৰৌপদী-সয়ম্বৰ ইত্যাদি। সয়ম্বৰত উৎসৱ-সভাস্থলতে বৰমাল্যদান আৰু সম্প্ৰদানাদি ক্ৰিয়া সম্পন্ন হয়, হৰণত পোনেই গান্ধৰ্ব্ব প্ৰথা অৱলম্বন কৰি পাচত বিবাহৰ অন্যান্য ক্ৰিয়াদি সম্পাদিত হয়, প্ৰভেদ ইমানেই হে।

দ্বিতীয় ছেদ

ৰুক্মিণীহৰণ-ৰণ

অদ্ভুতকৰ্ম্মা শ্ৰীকৃষ্ণদেৱে ৰুক্মিণীদেৱীক হৰণ কৰি লৈ স্বৰাজ্যলৈ প্ৰস্থান কৰা দেখি জৰাসন্ধ প্ৰমুখ্যে সয়ম্বৰ-সভাস্থ ৰাজন্যবৰ্গে নিজৰ প্ৰতাপ নিজে ধিক্কাৰি খঙত জ্বলি-পকি উঠি, বৰ্ম্মাবৃত হৈ, হাতত শৰধেনু লৈ, নিজ-নিজ সৈন্য-সামন্তৰে সৈতে গৈ, প্ৰত্যাগত কৃষ্ণক ৰুক্মিণী সমন্বিতে আগচি বন্দী কৰি আনিবলৈ বুলি তেওঁৰ পিচে-পিচে উত্ৰাৱলভাৱে খেদা ধৰিলে।[১] সিবিলাক যেতিয়া কাষ চাপিলগৈ তেতিয়া শ্ৰীকৃষ্ণৰ সঙ্কেত অনুসৰি যাদৱবাহিনীয়ে উভতি সেই সম্মিলিত অগণন শত্ৰুসমূহক ফেৰ পাতি ধৰিলে। ফলতঃ, দুয়োপক্ষৰ মাজত এখন তয়াময়া ৰণ লাগিল। খেদি যোৱা অসংখ্যাত ধনুৰ্দ্ধৰ ৰণুৱাবৃন্দে বিষম আক্ৰোশেৰে শ্ৰীকৃষ্ণৰ তাকৰীয়া ৰণুবাবৰ্গক আক্ৰমণ কৰিলেগৈ। আক্ৰমণকাৰী অশ্বাৰোহী, গজাৰোহী আৰু ৰথাৰোহী ৰণুৱাবৰ্গে অজস্ৰ বাণ বৰ্ষণ কৰিবলৈ ধৰিলে। কিন্তু, ধাৰাসাৰে বৰষিও মেঘে যেনেকৈ পৰ্ব্বতৰ অকণো হানি-বিঘিনি ঘটাব নোৱাৰে, তেনেকৈ সেই বাণ বৰ্ষণে যাদৱ বাহিনীৰ কিঞ্চিংমানো হানি বিঘিনি ঘটাব নোৱাৰিলে[২]। শেহান্তৰত, গণ্ডপ মাৰি শেন যেন হৈ খেদি যোৱা শত্ৰুপক্ষ সিমানৰেপৰা ফেঁচা যেন হৈ উলটি আহি সয়ম্বৰা-সভাত উপস্থিত হলহি। উলটি আহি, সভাস্থলত কন্যাপ্ৰাৰ্থী শিশুপালক সম্ৰাট জৰাসন্ধই এই বুলি বুজনি দিলেহি,—"হেৰা, চেদীপতি। এই পৰাজযত তুমি অকণো অপমানিত বোধ নকৰিবা। যিহেতু, তোমাৰ অবিদিত ন'হয় যে, মই স্বয়ং ২৩ অক্ষৌহিণী সেনাৰে সৈতে পৰিবৃত হৈ বিপুল আয়োজনেৰে গৈ আক্ৰমণ কৰিও, ১৭ বাৰ শ্ৰীকৃষ্ণৰ লগত যুদ্ধত পৰাস্ত হব লগাত পৰিছিলোঁ, মাথোন সদৌশেহত, ১৮শ বাৰত জয়লাভ কৰোঁ[৩]।

সম্ৰাট্ জৰাসন্ধৰ বুজনি মানি শিশুপালে তলমূৰ কৰা দেখি, মহা অভিমানী প্ৰবল প্ৰতাপী ভীষ্মকনন্দন ৰুক্মীবীৰ এই-বুলি গৰ্জ্জি উঠিল,—"শিশুপাল নিৰস্ত হব পাৰে, কিন্তু ৰুক্মীবীৰ নিৰ্ব্বিবাদে নিৰস্ত হৈ ৰব নোৱাৰে, কৃষ্ণকৃত অপহৰণত বিদৰ্ভৰাজৰ যি লাজ-অপমান হৈছে তাক ঢাকি ধৰা নাযায়। এতেকে, হে বীৰগণ, আপোনাসকলে শুনিব, সেই পলৰীয়া ধূৰ্ত্ত কৃষ্ণক বিনাশ কৰি মোৰ অনুজা ৰুক্মিণীক পুনৰুদ্ধাৰ নকৰাকৈ এই কুণ্ডিল্যপুৰলৈ আৰু মই প্ৰত্যাগমন নকৰোঁ। মোৰ এই প্ৰতিজ্ঞা কাচিতো অন্যথা হব নোৱাৰে[৪]।" এই বুলি অঙ্গীকাৰ কৰি ৰথত চৰি এক অক্ষৌহিণী সেনাৰে 'সতে ৰুক্মীবীৰে শ্ৰীকৃষ্ণৰ পিচে-পিচে খেদা ধৰিলে বিদৰ্ভবাহিনী কাষ চাপেগৈমানে যাদৱ-বাহিনীয়ে উভতি আগভেটি ধৰিলেহি। দুয়োপক্ষৰ মাজত তুমুল সংগ্ৰাম চলিবলৈ ধৰিলে। বিদৰ্ভবাহিনীৰ বিস্তৰ সৈন্য ৰণত পৰিল, আৰু ভালেমান তীক্ষ্ণ অস্ত্ৰাদি নাশ হল। এনেতে, খঙত কঁপি উঠি, হাতত কৃপাণ লৈ, ৰথৰপৰা নামি, ফৰিঙে যেনেকৈ জলাজুইক গ্ৰাস কৰিবলৈ গৈ নিজেই অগ্নিৰ গৰাহত পৰেগৈ, তেনেকৈ কৃষ্ণবধৰ আক্ৰোশত উত্তেজিত হৈ ৰুক্মীবীৰে বাসুদেৱক লক্ষ্য কৰি উত্ৰাৱল চিতেৰে চোচা ললে[৫], কিন্তু শ্ৰীকৃষ্ণই আদবাটতে আগচি ধৰি, ৰুক্মীৰ অস্ত্ৰ শস্ত্ৰ সমস্ত খণ্ড-বিখণ্ডকৈ ভাঙ্গি চূৰ্ণীকৃত কৰি, হাতত তৰোৱাল লৈ, তেওঁৰ শিৰোচ্ছেদ কৰিবলৈ আগ বাঢ়িলে[৬]।

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৪ আধ্যা, ১ম শ্লোক।
(২) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৪ আধ্যা, ৩য় শ্লোক।
(৩) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৪ আধ্যা, ১২শ শ্লোক।
(৪) অহত্বা সঙ্গৰে কৃষ্ণমপ্ৰত্যূহ্য যবীয়সীং।
কুণ্ডিনং ন প্ৰবেক্ষ্যামি কথ্যমেতদ্ব্ৰবীমাহং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৪ আধ্যা, ১৫শ শ্লোক।
(৫) ততো ৰথাদবপ্লুত্য খড়্গপাণি জিঘাংসয়া।
কৃষ্ণমভ্যদ্ৰৱৎ ক্ৰুদ্ধঃ পতঙ্গ ইব পাৱকং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৪ আধ্যা, ১৮ শ্লোক।
(৬) ভগবান উবাচঃ
ৰুক্মিণ্যামস্য মূঢ়স্য প্ৰাৰ্থনাসীন্মুমূৰ্ষতঃ।
ন চ তাং প্ৰাপ্তবান মূঢ়ঃ শূদ্ৰো বেদশ্ৰুতীমিব॥
—মহাভাৰত, শিশুপালবধ পৰ্ব্বাধ্যায় ৪৫ আধ্যা, ১৫ শ্লোক।

এনেতে, অগ্রজ ৰুক্মীক বধ কৰিবলৈ উদ্যত হোৱা দেখি, ৰুক্মিণী দেৱীয়ে স্বামী কৃষ্ণদেৱৰ চৰণতলত পৰি এই বুলি স্তুতি কৰিবলৈ ধৰিলে, "হে নাথ। আপুনি স্বয়ং জগত-সংসাৰৰ প্রতিপালক হৈ, এজন সাধাৰণ মানৱক বধিবলৈ উদ্যত হোৱাটো সম্লি শোভনীয় হোৱা নাই, —আপোনাৰ বিক্রমৰ আগত ঠাৰৰিব পাৰে, এই সংসাৰত এনে কোন্ আছে? এতেকে, অলপ পানীৰ মাছ যেন এজন নগণ্য লোকক হত্যা কৰি আপোনাৰ অপযশ নানিব, মই তুতি কৰি মাতিছোঁ, মোৰ প্রতি দয়া কৰি মোক অগ্রজৰ প্রাণদান দিয়ক।"[১] স্ব-কন্যা প্রিয়তমা ভার্য্যা ৰুক্মিণীদেৱীৰ পোন্-প্রথম কাতৰী অনুৰোধ এৰাব নোৱাৰি অগত্যা বাসুদেৱে ৰুক্মীবীৰক প্রাণেমাথোন এৰি দি, তেওঁৰ নিজৰ বস্ত্ৰৰ দ্বাৰাই তেওঁক বান্ধি লৈ, তেওঁৰ ভগা অস্ত্ৰৰ চোকা ধাৰেৰে তেওঁৰ মূৰৰ চুলি আৰু চকুৰ চেলাউৰি ওভতাই খুৰাই ৰুক্মীক অতিকৈ আপচু আৰু কুৰূপ কৰি সিমানতে এৰিলে।[২] ইতিমধ্যত, ভগবান বলদেৱে যাদৱ বীৰগণৰে সৈতে ৰুক্মীপক্ষীয় সৈন্যবর্গক মৰিমূৰ কৰি আহি, দুর্দ্দশাগ্রস্ত ৰুক্মীক অতিকৈ কুৰূপ দেখি, তেওঁৰ প্রতি সহানুভূতি প্রকাশ কৰি, অনুজ ভগবান শ্রীকৃষ্ণৰ প্রতি এই বুলি মধুৰ গ্লানি চতিয়াবলৈ ধৰিলে, "হে কৃষ্ণ! এই ৰুক্মীবীৰক এইদৰে বিৰূপ কৰাটো আমাৰ পক্ষে বিহিত আচৰণ হোৱা নাই। কিয়নো, তেওঁ এতিয়া আমাৰ সুহৃদ, সুহৃদক কুৰূপ কৰা আৰু বধ কৰা সমান কথা।" তাৰ পাচত, ভাই-বোৱাৰী ৰুক্মিণীদেৱীৰ প্রতি সাধু বীৰ বলদেৱে এই বুলি সাদৰী বুজনিৰে সম্বোধন কৰিলে, "হে সাধ্বী! তোমাৰ অগ্রজক কুৰূপ কৰাৰ বাবে তুমি আমাৰ ওপৰত সম্পূর্ণ দোষাৰোপ নকৰিবা, কিয়নো, মানুহে এই দেহাত যি সুখ-দুখ ভোগ কৰে, সি পূর্ব্বসঞ্চিত কর্ম্মফল মাথোন। আৰু, গমি-চাবা, ক্ষত্রিয়গণৰ ধর্ম্ম-কর্ম্ম অতি ভয়াবহ, প্রয়োজন হ'লে সিবিলাকে আপোন সহোদৰৰ প্রাণ লবলৈকো কুণ্ঠিত নহয়।"[৩] এইভাৱে ৰুক্মিণীদেৱী আৰু কৃষ্ণদেৱক বিস্তৰ জ্ঞানগর্ভ বুজনি দি, ভগবান বলদেৱে সেই ৰুক্মিণীহৰণ-ৰণৰ সামৰণি মাৰি, সিবিলাকৰ বিজয়-যাত্রাৰ গতি পুনঃ ধৰিবলৈ ৰামশিঙা বাদনেৰে যাদৱ-বাহিনীক অনুজ্ঞা জ্ঞাপন কৰিলে।

সেই অনুক্রমে যাদৱবাহিনীয়ে মহানন্দে দ্বাৰকা-অভিমুখে ওলটা যাত্রাৰ পুনঃগতি ধৰিলে। কিন্তু, মহা অভিমানী ৰুক্মীবীৰৰ অপমানৰ আৰু সীমা নাথাকিল, তেওঁ লাজ-অপমান আত্ম ধিক্কাৰত মর্ম্মাহত হৈ, স্বৰাজ্যলৈ আৰু উলটি নোযোৱাটোকে স্থিৰ কৰিলে,—শ্রীকৃষ্ণক বধ কৰি ৰুক্মিণীক উদ্ধাৰ নকৰাকৈ কুণ্ডিলাপুৰলৈ প্রত্যাগত নহবলৈ তেওঁৰ আত্ম-অঙ্গীকাৰ পালন কৰি, ৰুক্মীবীৰে সেই পৰাজয়ৰ স্থলতে 'ভোজকট' নামে এটা বিতোপন দুর্গ নির্ম্মাণ কৰাই লৈ, তাতে বসতি কৰি থাকিবলৈকে স্থিৰ কৰিলে।[৪]

ৰুক্মিণীহৰণ-ৰণত জয়লাভ কৰি যাদৱবাহিনী দ্বাৰকা প্রত্যাগত হোৱা উপলক্ষে দ্বাৰাৱতীত সিবিলাকৰ আদৰণীৰ

শিশুপাল উবাচ :
মৎপূর্ব্বাং ৰুক্মিণীং কৃষ্ণ সংসংসু পৰিকীর্ত্তয়ন্।
বিশেষতঃ পার্থিবেষু ব্রীড়াং ন কুৰুষে কথম্॥
মন্যমানো হি কঃ সংসু পুৰুষঃ পৰিকীর্ত্তয়েৎ।
অন্যপূর্ব্বাং স্ত্রিয়ং জাতু ত্বদন্যো মধুসূদনঃ॥
—মহাভাৰত, শিশুপালবধ পর্ব্বাধ্যায়, ৪৫ আধ্যা, ১৮-১৯ শ্লোক।

(১) শ্রীমদ্ভাগৱত, দশম স্কন্ধ, ৫৪ আধ্যা, ১৮ শ্লোক।

(২) শ্রীমদ্ভাগৱত, দশম স্কন্ধ, ৫৪ আধ্যা, ২০ শ্লোক।

(ক) যো ৰুক্মিণীমেকৰথেন ভোজন্ উৎসাদ্য ৰাজ্ঞঃ সমৰে প্রসহ্য।
উবাহ ভার্য্যাং যশসা জ্বলন্তীং যস্যাং যচেত ৰৌক্মিণেয়ো মহাত্মা॥
—মহাভাৰত, উদ্যোগপর্ব্ব, সৈন্যনির্য্যাণ আধ্যা।

(৩) ক্ষত্রিয়াণাময়ং ধর্ম্মঃ প্রজাপতিবিনির্ম্মিতঃ।
ভ্রাতাপি ভ্রাতৰং হন্যাদ্যেন ঘোৰতৰস্ততঃ॥
—শ্রীমদ্ভাগৱত, দশম স্কন্ধ, ৫৪ আধ্যা, ২৪ শ্লোক।

(৪) (ক) স্মৰণ্ বিৰূপকৰণং বিতথাত্মমনোৰথঃ।
চক্রে ভোজকটংনাম নিবাসায় মহৎপুৰং॥
—শ্রীমদ্ভাগৱত, দশম স্কন্ধ, ৫৪ আধ্যা, ৩৫ শ্লোক।

অৰ্থে বিপুল আয়োজন হৈছিল। সেই আয়োজন-আড়ম্বৰৰ মাজেদি উৰুলীকৃত হৈ যাদৱী পুৰনাৰীগণে মহোল্লাসেৰে নৱ-দম্পতী ৰুক্মিণী-কৃষ্ণক আদৰি নি পুৰীত প্ৰৱেশ কৰালেগৈ। তাৰ পাচত, যথাবিধি ৰুক্মিণী-কৃষ্ণৰ শুভ-পৰিণয়ৰ পৱিত্ৰ কাৰ্য্য সম্পাদিত হয়।[১] এই বিবাহ-উৎসৱত যোগ দিবলৈ ভিন্-ভিন্ দেশ-প্ৰদেশৰপৰা ভালেমান ৰাজ-ৰাজন্যবৰ্গ নিমন্ত্ৰিত হৈ দ্বাৰকাত সমবেত হৈছিলহি, তাৰ ভিতৰত কুৰু, সৃঞ্জয়, কৈকেয়, বিদৰ্ভ, যদু আৰু কুন্তি বংশীয়[২] আত্মীয়-কুটুম্বাদি বিশেষ। এইৰূপে শুভ-বিয়া সুকলমে সমাধা হৈ যোৱাৰ পাচত, লক্ষ্মীস্বৰূপা ৰুক্মিণীদেৱীৰে সৈতে শ্ৰীপতি শ্ৰীকৃষ্ণক একাসনত সমাসীন হোৱা দেখি দ্বাৰকা-বাসীগণৰ উলাহিত অন্তৰত আনন্দে নধৰা হল।[৩] সেই পৰম পৱিত্ৰ বৈবাহিক সূত্ৰৰ লগ্নগাঁথিয়ে ভাৰতৰ অতিপূব ৰাজ্য দ্বাৰকাক অতিপছিম ৰাজ্য বিদৰ্ভাৰে (শদিয়া) সৈতে সুদৃঢ়কৈ সম্বন্ধিত কৰি ভাৰতী মাতৃৰ বিশাল হিয়া সম্পূৰণ কৰিলে।

তৃতীয় ছেদ

প্ৰদ্যুম্ন-হৰণ

যথাসময়ত দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণদেৱৰ ঔৰসত বিদৰ্ভাৰাজ ভীষ্মকনন্দিনী ৰুক্মিণীদেৱীৰ গৰ্ভত এটি অতি সুশ্ৰী আৰু সুলক্ষণীয়া পুত্ৰ-সন্তানৰ উদ্ভৱ হয়। এইটিয়েই ৰুক্মিণী-কৃষ্ণৰ প্ৰথম সন্তান,—প্ৰথম পুত্ৰ। ল'ৰাটি কামদেৱ সদৃশ্ অতি ৰূপহ। আকাৰে-প্ৰকাৰে, ৰূপে-গুণে দেখাত পুত্ৰটি পিতৃ-শ্ৰীকৃষ্ণৰ লগত কোনো অংশত অতুলনীয় নহয়। ল'ৰাৰ নামকৰণ হল প্ৰদ্যুম্ন[৪]।

সেই কালত পছিম সাগৰৰ কূলত শম্ব নামে এটা ল'ৰা-ছোৱালী চোৰ অসুৰ যেন বনমানুহে ভীষণ প্ৰতাপেৰে নিজৰ প্ৰভুত্ব চলাইছিল। জ্যোতিষী গণনামতে, তাৰ ভাগ্যত হেনো লেখা আছিল যে, কামদেৱ হেন ৰূপহী নৰ আৰু ৰতিদেৱী যেন ৰূপহী নাৰীৰ সংযোগত তাৰ মৰণ মিলিব। সেই কাৰণে, য'তে ৰূপহ-ৰূপহী ল'ৰা-ছোৱালীৰ জন্মৰ কথা শুনে ত'ৰেপৰা সি সেই ল'ৰা-ছোৱালী চুৰ কৰি আনি নিজৰ ঘৰত পোহনীয়া জন্তুৰ দৰে আটক কৰি

(খ) ৰুক্মীবীৰে শ্ৰীকৃষ্ণৰ দ্বাৰাই পৰাজিত আৰু প্ৰত্যাহত হোৱাৰ পাচত, সেই ঠাইতে বিস্তৰ সৈন্য-সামন্ত আৰু গজবাজি সংগ্ৰহ কৰি লৈ ভোজকট নামে এখন প্ৰখ্যাত নগৰ স্থাপন কৰিছিল। কুৰুক্ষেত্ৰ-যুদ্ধৰ আয়োজনৰ সময়ত, এই ভোজকট নগৰৰপৰা এক অক্ষৌহিণী সৈন্য লগত লৈ কবচ, ধেনু, তৰোৱাল, খড়্গ আৰু শৰাসন ধাৰণ কৰি পাণ্ডৱগণে নজনাকৈ শ্ৰীকৃষ্ণৰ প্ৰিয়ানুষ্ঠান কৰিবৰ অৰ্থে, আদিত্যসকাশ ধ্বজৰে সৈতে পাণ্ডৱৰ সৈন্যমণ্ডলৰ মাজত তেওঁ প্ৰবিষ্ট হৈছিল গৈ। কিন্তু, ঠিক কোন্ ঠাইত ভোজকট নগৰ প্ৰতিষ্ঠিত হৈছিল, তাৰ নিৰ্দ্দেশ নাই।

—মহাভাৰত, উদ্যোগপৰ্ব্ব, ১৫৭ আধ্যা।

(গ) সম্ভৱতঃ শোণিতপুৰ (এতিয়াৰ তেজপুৰ) নাইবা প্ৰাগ্‌জ্যোতিষপুৰ (এতিয়াৰ গুৱাহাটী) আৰু উত্তৰ-বিহাৰৰ মাজৰ কোনো এঠাইত বিদৰ্ভাৰ (এতিয়াৰ শদিয়া) যুৱৰাজ ভীষ্মকনন্দন ৰুক্মীবীৰৰ 'ভোজকট' নগৰ প্ৰতিষ্ঠিত হৈছিল, যদ্যপি এতিয়ালৈকে তাৰ চিন্-চাব নৌ ওলায় এখোন। কোনো-কোনোৰ মতে এতিয়াৰ উত্তৰ-বিহাৰ আৰু পূৰ্ব্ববঙ্গৰ মাজৰ কোনোবা এঠাইত ৰুক্মীবীৰে 'ভোজকট' নামে এখন সৰু ৰাজ্য পাতিছিল, কোনোৱে আকৌ বিদৰ্ভা নগৰকো শদিয়াৰপৰা থানি তুলি নি উত্তৰ-বিহাৰত পাতি লৈ, ভোজকট নগৰখন তাতোকৈ ভটীয়াই নি পাতেগৈ।

(১) ভগবান্ ভীষ্মকসুতামেবং নিৰ্জ্জিত্য ভূমিপান্।
পুৰমানীয় বিধিবদুপযেমে কুৰুদ্বহ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৪ আধ্যা, ৩৬ শ্লোক।

(২) কুৰু সৃঞ্জয় কৈকয় বিদৰ্ভ যদুকুন্তয়ঃ।
মিথো মুমুদিৰে তস্মিন্ সংভ্ৰমাৎ পৰিধাবতাং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৪ আধ্যা, ৪০ শ্লোক।

(৩) ৰুক্মিণ্যা হৰণং শ্ৰুত্বা গীয়মানং ততস্ততঃ।
ৰাজানো ৰাজকন্যাশ্চ বভূবুৰ্ভৃশবিস্মিতাঃ॥
দ্বাৰকায়ামভূদ্ৰাজন্মহামোদঃ পুৰৌকসাং।
ৰুক্মিণ্যা ৰময়োপেতং দৃষ্ট্বা কৃষ্ণং শ্ৰিয়ঃ পতিং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৪ আধ্যা, ৪০ শ্লোক।

(৪) স এব জাতো বৈদৰ্ভ্যাং কৃষ্ণবীৰ্য্যসমুদ্ভৱঃ।
প্ৰদ্যুম্ন ইতি বিখ্যাতঃ সৰ্ব্বতোঽনৱমঃ পিতুঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৫ আধ্যা, ২য় শ্লোক।

ৰাখিছিল। প্ৰদ্যুম্নৰ জন্মৰ কথাও তাৰ কাণত পৰিলগৈ। সি ৰুক্মিণীনন্দনৰ ৰূপলীলাৰ বৰ্ণনা শুনি তত্তালিকে ছদ্মবেশেৰে দ্বাৰাৱতীত উপস্থিত হলগৈ। তাৰ পাচত, প্ৰদ্যুম্ন কোঁৱৰৰ কামদেৱ সদৃশ্ বিমোহন ৰূপ দেখি শম্বৰ আচৰিত আৰু অধৈৰ্য্য হৈ পৰিল। গতিকে, কেইবাদিনো চান্দি থাকি এদিন, ওপজা দহ দিন নৌ হওঁতেই, শম্বৰই প্ৰসূতীৰ বুকুৰপৰা ল'ৰাটি অতি গুপুতে হৰণ কৰি সাগৰ পাৰ হৈ উলটি নিজৰ অধিকাৰৰ ৰাজ্যত সোমালেহি।[১]

কিছুমান দিনৰ পাচত, সেইদৰেই পাঞ্চাল অঞ্চলত এটি কামদেৱপত্নী ৰতিদেৱী হেন ৰূপহী ৰাজকন্যাৰ জন্ম-বাতৰি পাই, শম্বৰই গুপুতে সেই কন্যাকো হৰণ কৰি আনি নিজঘৰত আটক কৰি পালিবলৈ ৰাখিলেহি। কন্যাটিৰ নাম হল মায়াৱতী। তাৰ পাচত, সেই গুপ্তবাসত প্ৰদ্যুম্ন আৰু মায়াৱতী শম্বৰ দ্বাৰাই প্ৰতিপালিত হৈ ক্ৰমাৎ ডাঙৰ-দীঘল হবলৈ ধৰিলে[২]। বয়সৰ লগে লগে দুইৰো প্ৰতি দুইৰো স্বাভাবিক আসক্তি বাঢ়ি আহিল। দুইৰো যৌৱনপ্ৰাপ্তিত সেই আসক্তি প্ৰণয়ত পৰিণত হল, আৰু সদৌশেহত সেই প্ৰণয় পৰিণয়ত পৰিণত হলগৈ[৩]।

এনেতে, এদিন ভাৰত-পৰিব্ৰাজক দেৱৰ্ষি নাৰদমুনি আচম্বিতে শম্বৰ গৃহত উপস্থিত হলগৈ। গৃহস্থৰ শুশ্ৰূষাদি গ্ৰহণ কৰাৰ লগে লগে নাৰদে শম্বৰ গৃহত দ্বিতীয় কৃষ্ণমূৰ্ত্তি দেখা পাই বিস্ময় মানি মনে মনে দ্বাৰকাত কৃষ্ণপুত্ৰ ৰুক্মিণী-নন্দনৰ বিষয়ে স্মৰণ কৰিলে। তাৰ পাচত, তেওঁ বিদায় লোৱাৰ পূৰ্ব্বতে, অতি গুপুতে প্ৰদ্যুম্নৰ আগত সেই ছেগতে তেওঁৰ জন্মকাহিনী বিষয়ে ভাঙি কৈ, তেওঁক ভৱিষ্যতৰ কৰ্ত্তব্যৰ দিহা দি থৈ, পোনে-পোনেই দ্বাৰাৱতীত গৈ কৃষ্ণদেৱ আৰু ৰুক্মিণীদেৱীৰ আগত সমস্ত বিৱৰি কলেগৈ।

ইতিমধ্যত ছেগ ধৰি এদিন মহাবাহু প্ৰদ্যুম্ন কোঁৱৰে শম্বৰাসুৰক বধ কৰি, নিজৰ প্ৰণয়িনী মায়াৱতীৰে সৈতে গৈ পিতৃপ্ৰতিষ্ঠিত নগৰ দ্বাৰাৱতীত উপনীত হলগৈ। নগৰবাসী আৰু পুৰবাসী নৰ-নাৰী সকলোৱে দ্বিতীয় কৃষ্ণমূৰ্ত্তি দেখা পাই অতিকৈ বিস্ময় মানি[৪] ভয়বিহ্বলচিত্তেৰে গৈ শ্ৰীকৃষ্ণদেৱৰ ওচৰত সেই আচৰিত ঘটনাৰ তত্ত্ব অনুসন্ধান কৰিলেগৈ। বাসুদেৱে বৰ ৰংমনেৰে বিগত কাহিনীৰ কথা আৰু নাৰদমুনিৰ জৰিয়তে পোৱা বাতৰিৰ বিষয়ে বিৱৰি কোৱাত দ্বাৰকাবাসীৰ প্ৰাণত আনন্দে নধৰা হল; আৰু মহালক্ষ্মীস্বৰূপা ৰুক্মিণীদেৱীয়ে অতি সুন্দৰী বোৱাৰীয়েক আৰু হেৰোৱা পুত্ৰধন পুনঃ লাভ কৰি আনন্দবিহ্বলা হৈ প্ৰদ্যুম্ন আৰু মায়াৱতীক হেঁপাহেৰে সাবটি ধৰি বুকুলৈ চপাই ললে।[৫]

---

(১) ভাগৱত পুৰাণমতে কিন্তু শম্বৰই প্ৰদ্যুম্নক চুৰকৈ নি সাগৰত পেলাই থৈ গৈছিল। পাচত, জালোৱা কৈৱৰ্ত্তই এটা বৰ ডাঙৰ মাছ তাৰপৰা ধৰি নি শম্বৰক ভেটি দিছিলগৈ। পিচে, সেই মাছ বাছোঁতে তাৰ পেটৰপৰা ৰুক্মিণীৰ কেঁচুৱা সন্তানটি ওলাই পৰিল। যেনে,—

তং শম্বৰায় কৈৱৰ্ত্তা উপজহ্ৰুৰুপায়নং।
সূদা মহানসং নীত্বাহবদ্যন্ সুধিতিনাদ্ভুতং।
দৃষ্ট্বা তদুদৰে বালং মায়াৱত্যৈ ন্যবেদয়ন্॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৫ আধ্যা, ৫ম শ্লোক।

(২) ভাগৱতত মায়াৱতীক সাক্ষাৎ ৰতিয়ে বুলিছে, আৰু তেতিয়া তেওঁ শম্বৰ ঘৰত ৰান্ধনী আছিল। যেনে,—

সাচ কামস্য বৈ পত্নী ৰতিৰ্নাম যশস্বিনী।
পত্যুৰ্নিৰ্দগ্ধদেহস্য দেহোৎপত্তিং প্ৰতীক্ষতী॥
নিৰূপিতা শম্বৰেণ সা সূপৌদনসাধনে।
কামদেৱং শিশুং বুদ্ধা চক্ৰে স্নেহং তমৰ্ভকে॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৫ আধ্যা, ৭—৮ শ্লোক।

(৩) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৫ আধ্যা, ৯—১০ শ্লোক।

(৪) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৫ আধ্যা, ১৯—২১ শ্লোক।

(৫) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৫ আধ্যা, ২২—২৭ শ্লোক।

নৱম আধ্যা

স্যমন্তকহৰণ*

শ্ৰীকৃষ্ণই অহোপুৰুষাৰ্থেৰে নিজ জ্ঞাতি যাদৱবৰ্গক মথুৰাৰ আপদৰপৰা উদ্ধাৰ কৰি নি দ্বাৰকাত নিৰাপদকৈ আৰু টনকিয়ালকৈ পাতিলেগৈ।

মথুৰাৰ স্বেচ্ছাচাৰী ৰজাৰ অত্যাচাৰী শাসনৰপৰা পাৰ কৰি নি, বাসুদেৱে সিবিলাকক সুপ্ৰতিষ্ঠিত দ্বাৰকাৰাজ্যৰ সুসভ্য সাধাৰণতন্ত্ৰ শাসনপ্ৰণালীৰ সুবিধা দানেৰে উপকৃত কৰিলেগৈ[১]। চমু-চপাই একে-আষাৰে কৈ থবলৈ হলে, বৃষ্ণিকোঁৱৰ মতিমান মাধৱৰ যহত যাদৱবৰ্গে বাহিৰে-ভিতৰে অবিচ্ছেদ সুখ-শান্তি লাভ কৰিলে।

কিন্তু, সেই সুখ শান্তি বাহিৰে দেখাত হে, ভিতৰি প্ৰকৃততে যাদৱবৰ্গৰ মাজত মিলা-প্ৰীতি আৰু সুখ শান্তিৰ লেশমানো নাছিল। সিবিলাক যিমানেই নিৰাপদ হল, সিমানেই অগুণকাৰী হৈ উঠিল। সাম্যশাসনৰ গুণত সিবিলাক যিমানেই উন্নত আৰু স্বতন্ত্ৰবীযা হৈ আহিল, সিমানেই অভিমানী আৰু অহঙ্কাৰী হৈ পৰিল। অকল সিমানেও নহয়, সিবিলাকৰ মাজত ঈৰ্ষানল জ্বলি উঠি ভিতৰুৱা সামাজিক সুখ-শান্তি নাশ হবলৈ ধৰিলে, আৰু তাৰ ফলত, সিবিলাকৰ সমাজত জাতীয় আৰু জ্ঞাতীয় প্ৰেম আৰু প্ৰীতিৰ ভাব গুচি তাৰ ঠাইত হিংসা, দ্বেষ, জ্ঞাতিদ্ৰোহ, আত্মকন্দল ইত্যাদি অহিতকৰ ভাবৰ আঁচৰণে থিত দিলে। আন কি, সিবিলাকৰ পৰম উপকাৰী বিপদ্-বন্ধু বাসুদেৱে তেনেকুৱা নিকৰুণ আচৰণ সহিব লগাত পৰি, মহা অশান্তিত দিন নিয়াবলগীয়া হৈছিল। নিজৰ বল-বীৰ্য্য আৰু বুদ্ধি-বিক্ৰমৰ গুণত শ্ৰীকৃষ্ণ যাদৱবৰ্গৰ সৰ্বাতোপৰি ঘাই নেতা আছিল; সেই গুণৰ বাবেই নিজৰ মহাবাহু অগ্ৰজ আৰু বয়োজ্ঞানবৃদ্ধ জ্ঞাতিবৰ্গও তেওঁৰ বশ হৈ আছিল। শ্ৰীকৃষ্ণৰ দ্বাৰাই যদুকুল ৰক্ষিত আৰু তেওঁৰ বিহনে সিবিলাকৰ বংশৰ অধঃপাত অনিবাৰ্য্য হেতুকে হে যাদৱবৰ্গে তেওঁৰ নেতৃত্ব মানি চলিছিল, কিন্তু ভিতৰি তেওঁকো সিবিলাকে হিংসা নকৰাকৈ নেৰিছিল[২]। সেই বাবে যে বাসুদেৱ সদায় ব্যথিত আৰু তেওঁৰ মনত সদায় অশান্তি, সেই কথা তেওঁ এইভাৱে নিজমুখে ব্যক্ত কৰিছিল,— মই মোৰ জ্ঞাতিবৰ্গৰ সততে উপকাৰ সাধি তাৰ প্ৰত্যুপকাৰ স্বৰূপ মই অযাচিতে সিবিলাকৰ গঞ্জনা সহিব লগাত পৰোঁ। মোৰ আৰ্জ্জিত ঐশ্বৰ্য্যৰ অৰ্দ্ধেকৰো অধিক সিবিলাকৰ মাজত বিলাই দিওঁ, তথাপি মই জ্ঞাতি-বৰ্গৰ ওচৰত সততে মাতৰ-তিতা সহি সিবিলাকৰ দাসৰো দাস স্বৰূপে বাস কৰিবলগীয়া হৈছোঁ[৩]। মই স্বজাতিৰ চিত্তশুদ্ধিৰ অৰ্থে সিবিলাকক স্বায়ত্তশাসনৰ ক্ষমতাদানেৰে

---

*কোনো-কোনো প্ৰত্নতাত্ত্বিকৰ মতে, এই স্যমন্তক মণিয়েই বৰ্ত্তমান ইংলণ্ডেশ্বৰ ভাৰত-সম্ৰাট মহাৰাজ পঞ্চম জৰ্জ্জৰ মুকুটভূষণ—'কহিনুৰ'। যদুবংশ ধ্বংস আৰু দ্বাৰকা বিলোপৰ কালত, সেই অদ্বিতীয় আৰু অমূল্য ৰত্ন অভগন স্যমন্তকমণি ইয়াৰ জন্মস্থান পঞ্চনদৰ সঙ্গমমণ্ডললৈ পাৰ হয়। তাৰ পাচত, ই বহুকাল ধৰি পঞ্জাৱৰাজসকলৰ শিৰোভূষণ হৈ জিলিকি আহিছিল, পিচে, সদোশেহত, সেই স্যমন্তক মহামণিয়ে 'কহিনুৰ' নামে পঞ্চনদ অঞ্চলৰ শেহাধিপতি পঞ্জাৱকেশৰী ৰণজিৎসিংহৰ কীৰিটি শোভা কৰিছিল। তাৰ পাচত, কি সূত্ৰে, কি কৌশলে আৰু কি উপায়ে পৃথিৱীৰ এই অদ্বিতীয় অমূল্য উজ্জ্বল ৰত্ন স্যমন্তক মণিয়ে কহিনুৰ ৰূপে 'সাতসাগৰ-তেৰনদী' পাৰ হৈ গৈ, স্বৰ্গীয়া ভাৰতেশ্বৰী 'মহাৰাণী' ভিক্টোৰিয়াৰ ৰাজমুকুট অলঙ্কৃত কৰেগৈ, 'কোহিনুৰ-কাহিনী'ত সেই বিষয়ক বৃত্তান্তৰ বহুল আভাস পোৱা যাব। এই মহামূলীয়া মণিৰ মোহ ইমান চৰা আছিল যে, মানুহে আপোনাৰ প্ৰাণতকৈও ইয়াক অধিকতৰ মূল্যবান জ্ঞান কৰিছিল। বৃটিছ ৰাজপ্ৰতিনিধি লৰ্ড ডেলহৌচি গৱৰ্ণৰ জেনেৰেলে এই মহাৰত্ন ভাৰতৰ বুকুৰপৰা আঁতৰাই নি, সাতসাগৰ-তেৰনৈ পাৰ কৰি স্বয়ং বাহক হৈ বিলাত-যাত্ৰা কৰোঁতে, বাটত কেনেবাকৈ ইয়াৰ হানিবিঘিনি ঘটে বুলি, মণিটি সযতনে সুৰক্ষিত এটি সৰু লোৰ পেৰাত ভৰাই লৈ, তাত সঁচাৰ মাৰি শিকলি লগাই নিজৰ কঁকালত আটি লৈছিল; ৰাতি সাগৰৰ জাহাজত শুই যাওঁতে সেই বন্ধা ভাগেই শুই গৈছিল;—বোলে, "বুৰো যদি মণিয়ে সৈতে বুৰিম, তথাপি নেৰিম!"

(১) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ১১৪ আধ্যা।

(১) নাৰদপুৰাণ, হৰিমাহাত্ম্য আধ্যা।

(২) আদৰ্শ পুৰুষ শ্ৰীকৃষ্ণৰ দেশসেৱা, জ্ঞাতিসেৱা

স্বতন্ত্ৰীয়া আৰু মুকলিমূৰীয়া কৈ উন্নত জাতি কৰাৰ প্ৰতিদান সিবিলাকৰ কু-কথা আৰু কঠুৱা আচৰণে মোৰ অন্তৰ দহিব লাগিছে! জ্ঞাতিৰ মাজত সবাতকৈ প্ৰতাপী বৃষ্ণি আৰু অন্ধক ফৈদ, সবাতোকৈ গুৰনি ৰাম, গদ আৰু প্ৰদ্যুম্ন, সৰহ ভাগতকৈ বুদ্ধিমান আহুক আৰু অক্ৰূৰ। এইসকল মোৰ ফলীয়া হৈ থকাৰ স্থলতো মই সদায় অকলশৰীয়া আৰু নিশকতীয়া। জ্ঞাতিৰ মাজত এজনক ভাল চকুৰে চালে আনজনে মোক ভ্ৰূকুটি দেখুৱায়, এজনক প্ৰীতিভাব দেখুৱালে আনজন অপ্ৰিয় হৈ উঠে! আহুক আৰু অক্ৰূৰ মোৰ পৰম বন্ধু, সেই হেতুকে দুইৰো প্ৰতি মোৰ সমান সংপ্ৰীতি, কিন্তু এজনলৈ সেই প্ৰীতি-ভাব দেখুৱাওঁতে ইজনৰ অন্তৰত ঈৰ্ষাজুই জ্বলি উঠে।—মই নিৰুপায়। এইবোৰ কথাত মোৰ মনত সদায় অশান্তি।"[১]

স্যমন্তকহৰণ কাহিনী দ্বাৰকাত যাদৱবৰ্গৰ মাজত হিংসা, দ্বেষ, ঈৰ্ষানল জ্বলি থকাৰ এটা জলন্ত পটন্তৰ। সত্ৰাজিত নামে এজন যাদৱে ভাগ্যক্ৰমে স্যমন্তক নামে এটি অতি উজ্জ্বল আৰু মহামূলীয়া মণি-ৰত্ন লাভ কৰিছিল। সত্ৰাজিতে সততে উবাযাত্ৰা কৰি দ্বাৰাৱতীৰপৰা সাগৰ-প্ৰণালী পাৰ হৈ আহি পঞ্চনদৰ সঙ্গম-মণ্ডলত[২] প্ৰতিষ্ঠিত তেওঁৰ আশ্ৰমত সূৰ্য্যদেৱতাক উপাসনা কৰিছিল, সেই উপাসনাৰ কালতে এই অতি উজ্জ্বল মণি প্ৰাপ্তিৰ আপাহত ইয়াৰ অন্যতম নাম সূৰ্য্যকান্তমণি হয়।[৩] ইয়াৰ জেউতি ইমান উজ্জ্বল আছিল যে, ইয়াক পৰিধান কৰোঁতাক সূৰ্য্য যেন চকমকীয়া তেজোময় দেখা গৈছিল। এই মণি পিন্ধি যেতিয়া সত্ৰাজিতে দ্বাৰাৱতীত পোন-প্ৰথমে প্ৰৱেশ কৰেহি, তেতিয়া তেওঁক নগৰবাসীসকলে চিনিব নোৱাৰি, সাক্ষাৎ সূৰ্য্যদেৱতা সশৰীৰে পৃথিবীলৈ নামি অহা যেন ভাব কৰিছিল। আৰু সেই অলৌকিক ভাবত পুলকিত হৈ, যাদৱ কুমাৰবৃন্দে উত্ৰাৱলচিতেৰে লৰি গৈ, সেইক্ষণত পাশাখেলত মগ্ন হৈ থকা, ভগবান শ্ৰীকৃষ্ণক এইবুলি বতৰা দিলেগৈ যে, বাসুদেৱৰ সাক্ষাৎ লাভাৰ্থে স্বয়ং ভগবান মৰীচিমালী সূৰ্য্যদেৱতা দ্বাৰাৱতীত অৱতীৰ্ণ হৈছেহি। সেই বিস্ময়জনক বাতৰি শুনি শ্ৰীকৃষ্ণদেৱে অলপ পৰ স্থিৰচকুৰে সেই দিবাকৰ আগমনৰ ফালে নিৰীক্ষণ কৰি, এটি মিচিকিয়া হাঁহি মাৰি, এইবুলি সমিধান দিলে,—"ভালকৈ মনি চোৱাঁহক, তেওঁ সূৰ্য্যদেৱতা নহয়, তোমালোকৰ চিনাকি নগৰীয়া সত্ৰাজিত হে, তেওঁ পৰিধান কৰা সৌ উজ্জ্বল মণিটিৰ প্ৰভাৰ প্ৰভাৱত হে তেওঁ সূৰ্য্য যেন হৈ জিলিকি আছিছে।" তাৰ পাচত, স্যমন্তকৰ চমকনিত নিজেও চকুখাই বিস্ময় মানি, সত্ৰাজিতে সেই দেৱদত্ত অদ্ভুত মণিটি থাপনাত থৈ, উপদেৱতা ৰূপে যথাবিধি পূজা কৰিবলৈ ধৰিলে।[৪]

স্যমন্তক মণিৰ লোভতেই গুণী, মানী আৰু পৰাক্ৰমী ভালেমান যাদৱ ভিতৰি সত্ৰাজিতৰ শত্ৰু হৈ উঠিল। আন কি, ধন-সম্পত্তিত নিতান্ত নিস্পৃহ বলদেৱেও সেই অপূৰ্ব্ব অদ্ভুত মণিলৈ লোভ সামৰিব নোৱাৰিছিল। অকল সিমানেই নহয়, অসাধাৰণৰূপে লোভ, মোহ, আকাঙ্ক্ষাদিৰ প্ৰবৃত্তি সংযমকাৰী মহাত্যাগী পৰমপুৰুষ শ্ৰীকৃষ্ণদেৱেও অন্তৰে-অন্তৰে সেই মণিলৈ হেঁপাহ কৰিছিল বুলি অনেকৰ, বিশেষকৈ সত্ৰাজিতৰ, মনত সন্দেহ হৈছিল। কিন্তু, যথাৰ্থতে বাসুদেৱে নিজলৈ হাবিয়াস কৰা নাছিল, সেই অমূল্য মণি পিন্ধিবলৈ যদুপতি উগ্ৰসেন হে যথাৰ্থ উপযুক্ত

আৰু জ্ঞাতিসেৱাৰ জলন্ত পটন্তৰ,—দেশহিতৈষিতাৰ অনুপম আৰ্হি।

(১) (ক) মহাভাৰত, শান্তিপৰ্ব্ব, (খ) ব্ৰহ্মবৈবৰ্ত্ত-পুৰাণ, কৃষ্ণজন্মখণ্ড, ২১৪ আধ্যা।

(২) বৰ্ত্তমান পঞ্জাব প্ৰদেশৰ অন্তৰ্গত সিন্ধু নদৰ উপনদী শতদ্ৰু, বিতস্তা, বিপাশা, চন্দ্ৰভাগা আৰু ইৰাৱতী এই পাঁচনৈৰ সঙ্গম ৰাজ্য।

(৩) শ্ৰীমদ্ভাগৱত মহাপুৰাণমতে, সূৰ্য্যদেৱতাৰ পৰম ভক্ত উপাসক সত্ৰাজিতৰ অচলা ভক্তিত তুষ্ট হৈ, ভগবান্ দিবাকৰে সেই উজ্জ্বল মণি তেওঁক বৰদান দিছিল। যেনে:—আসীৎ সত্ৰাজিতঃ সূৰ্য্যো ভক্তস্য পৰমঃ সখা। প্ৰীত-স্তস্মৈ মণিং প্ৰাদাৎ সচ তুষ্টঃ স্যমন্তকং॥—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৬ আধ্যা, ২য় শ্লোক।

(৪) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৬ আধ্যা, ৭—৯ শ্লোক।

পাত্ৰ বুলি তেওঁ সত্ৰাজিতৰ আগত সেই মন্তব্য জ্ঞাপন কৰি, এদিন তেওঁৰ স্যমন্তক যাজ্ঞা কৰিছিল[১]। সেই কথাত সত্ৰাজিত অতিকৈ আশঙ্কিত হ'ল; তেওঁ ভাবিলে যে, শ্ৰীকৃষ্ণৰ চকুত পৰিল যেতিয়া সেই মণি তেওঁ চিৰদিনলৈ ৰাখিবগৈ যে নোৱাৰিবই, নিজৰ প্ৰাণলৈকো টনাটনি, আৰু এদিন-নহয়-এদিন সি বাসুদেৱৰ হাতলৈ পাৰ হবই-হব। ইয়াকে ভাবি, সত্ৰাজিতে স্যমন্তক মণি তেওঁৰ সহোদৰ প্ৰসেনক উপহাৰ দিলে। প্ৰসেন এজন বৰ বাহুবলী আৰু বিক্ৰমশালী পুৰুষ আছিল। তেওঁ অতি উলাহেৰে আৰু নিৰ্ভীক চিতেৰে স্যমন্তক মণি পিন্ধি ফুৰিবলৈ ধৰিলে। কোনোবাই কেতিয়াবা কিবাস্বৰূপে হাত কৰে বুলি আশঙ্কা কৰি, প্ৰসেনে স্যমন্তক-বিয়োগ হৈ ক্ষন্তেকো নাথাকে। পিচে, এদিন সেই মণি পিন্ধি থকা ভাগেই ঘোঁৰা-চেৰাবি কৰি প্ৰসেন মৃগয়ালৈ গ'ল[২]। গৈ গৈ তেওঁ এখন অটব্য অৰণ্যত সোমালগৈ। তাতে এটা প্ৰকাণ্ড সিংহই, প্ৰসেনৰ দ্বাৰাই শৰবিদ্ধ হৈ, তেওঁক উলটি ধৰি বধ কৰে। তাৰ পাচত, স্যমন্তকৰ চকমকনিত চমক্‌খাই, আৰু তাৰ বিমোহন জেউতিত বিভোল হৈ, পশুৰাজে সেই মণি অতি উলাহেৰে মুখত লৈ, উত্ৰাৱল গতিৰে হাবি-বন ভাঙ্গি নিজ নিবাস গভীৰ গুহাৰ মুখে ঢাপলি ধৰিলে। এনেতে, সেই অদ্ভুত মণিৰ অপূৰ্ব্ব পোহৰত ওচৰ-কাষৰীয়া গাওঁ-বনত চক্‌মকনি লাগি উঠাত, তজ্জনিত কৌতূহল নিবাৰণৰ অৰ্থে সেই গাওঁ আৰু বনৰ অধিপতি ভালুক সদৃশ ঋক্ষ জাতীয় জাম্ববান[৩] নামে এজন আৱৰী ৰজাই নিজৰ সৈন্য সামন্তৰে সৈতে খেদি নি পশুৰাজক আগচি ধৰিলেগৈ। তাতে ঋক্ষৰাজ আৰু পশুৰাজৰ মাজত ভালেমান পৰলৈকে এখন তুমুল সংগ্ৰাম চলিবলৈ ধৰিলে। কিন্তু, সৰহীয়া ঋক্ষৰ মাজত অকল-শৰীয়া কেশৰী সৰহপৰলৈ ঠাৰবিবগৈ নোৱাৰিলে, সদৌ-শেহত সিংহক বধ কৰি, জাম্ববানে স্যমন্তক মণি হৰণ কৰি নি তেওঁৰ নাতি-পুতি সৰু সৰু সন্তানবৰ্গক উমলিবলৈ দিলেগৈ।[৪]

পিচে, স্যমন্তক মণিয়ে সৈতে প্ৰসেন নিৰুদ্দেশ হোৱাত, ইফালে দ্বাৰাৱতীত মহা হুলস্থুল লাগি উঠিল। ভালেমানে এনে সন্দেহ ব্যক্ত কৰিবলৈকো বাকী নথ'লে যে, স্যমন্তক লাভৰ উদ্দেশ্যে কৌশলী কৃষ্ণই কিবাস্বৰূপে প্ৰসেনক বধ কৰি সেই মহাৰত্ন আত্মসাৎ কৰিছে। সেই অপবাদৰ গঞ্জনা বাজ হোৱাত, ধৰ্মপ্ৰাণ শ্ৰীকৃষ্ণদেৱ মৰ্ম্মান্তিক ব্যথিত হ'ল। বাসুদেৱে সেই অপবাদ খণ্ডাবৰ অৰ্থে, ৰাজকীয় চ'ৰাত প্ৰকাশ্যে আলোচনা কৰাই উঠি, তাৰ সিদ্ধান্ত অনুসৰি, প্ৰতিফৈদৰ একোজন যাদৱ প্ৰতিনিধি ৰণুৱা লগত লৈ, এদল বাছকবনীয়া সৈন্যৰে সৈতে প্ৰসেনৰ অনুসন্ধানলৈ বনযাত্ৰা কৰিলে। গৈ গৈ সিবিলাকে সেই অটব্য অৰণ্যৰ মাজত প্ৰসেনৰ ক্ষত-বিক্ষত মৃতদেহা পৰি থকা দেখা পালেগৈ, কিন্তু, সেই দেহাত স্যমন্তক বিচাৰি নোপোৱাত লগৰীয়াবিলাকে পুনৰপি পূৰ্ব্বৰ সন্দেহ মানি ইজনে-সিজনে চকু-চোৱাচুই কৰিবলৈ ধৰিলে। সেই কথাত শ্ৰীকৃষ্ণ পূৰ্ব্বতকৈও চিন্তিত আৰু ব্যথিত হ'ল। কিন্তু, য'ত প্ৰসেনৰ মৃতদেহা পৰি ৰৈছিল, তাত এটা প্ৰকাণ্ড সিংহৰ খোজ আৰু শৰটো খছকা চিনেৰে ক্ষত-বিক্ষত হোৱা দেখা গ'ল। তাৰ পাচত, বাসুদেৱে লগৰীয়া যাদৱবৰ্গ সমন্বিতে ৰণুৱাদলক সাক্ষী কৰি লৈ সকলোটিয়ে সিংহৰ খোজ ধৰি ধৰি সেই অটব্য অৰণ্যৰ গহন প্ৰদেশৰপৰা ক্ৰমাৎ মুকলিলৈ ওলাবলৈ ধৰিলে। মুকলিলৈ ওলাই আকৌ এখন গুহাগৰ্ভ অৰণ্যৰ মুখে পাক লওঁতেই সিবিলাকে সেই জাম্ববান নামে অনাৰ্য্য ৰজাৰ নগৰত, বা বনমানুহৰ গাওঁত সোমালেগৈ। তাতে সেই ঋক্ষৰাজৰ নাতি-পুতি সন্তানাদিক ওমলাই থকা

(১) স যাচিতো মণিং ক্বাপি যদুৰাজায় শৌৰিণা।
নৈবাৰ্থকামুকঃ প্ৰাদাৎ যাচ ্ঞাভঙ্গমতৰ্কয়ন ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৬ আধ্যা, ১২ শ্লোক।

(২) তমেকদা মণিং কণ্ঠে প্ৰতিমুচ্য মহাপ্ৰভাং।
প্ৰসেনো হয়মাৰুহ্য মৃগয়াং ব্যচৰদ্বনে ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৬ আধ্যা, ১৩ শ্লোক।

(৩) পুৰাণকাৰসকলৰ এভাগে এওঁক দ্বাপৰ যুগৰ আদিছোৱাৰ শ্ৰীৰামভক্ত 'বুঢ়া জাম্ববান' বুলিয়েই ঠাৱৰাই থৈছে।

(৪) তত্ৰদৃষ্ট্বা মণিশ্ৰেষ্ঠং বালক্ৰীড়নকং কৃতং।
হৰ্ত্তুং কৃতমতিস্তস্মিন্নৱতস্থে হৰ্ভকান্তিকে ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৬ আধ্যা ১৫শ শ্লোক।

প্ৰজনী ধাইৰ হাতত স্যমন্তক মণি জিলিকি থকা দেখা পোৱা গল। যাদৱ সেনানীয়ে উত্ৰাৱল চিতেৰে কাটি আনিবলৈ আগ বাঢ়িলত, ধাইজনীয়ে লৰি গৈ ৰজাৰ আগত মণি শোধাই দি, উপস্থিত ঘটনাৰ বিষয়ে বিবৰি কলেগৈ। সেই কথাত ঋক্ষৰাজ অতিকৈ কুপিত হৈ, তেৰো নিজৰ ৰণুৱা লৈ ৰণ দিবলৈ খেদি আহিল। প্ৰথমতে, শ্ৰীকৃষ্ণদেৱে সমিল-মিল ভাৱে স্যমন্তক মণি ঘূৰাই পাবলৈ সেই অনাৰ্য্য ৰজাৰ ওচৰত প্ৰস্তাৱ কৰিলে, কিন্তু ৰজা মান্তি নহল। গতিকে, দুয়োপক্ষৰ মাজত এখন চুৰ্ চুৰীযাকৈ ৰণ লাগি উঠিল। ৰণ বিশিষ্ট নহয় যদিও, ঋক্ষৰীতি অনুসৰি ই ভালেমান পৰলৈকে লেকেতীয়া হৈ লাগিবলৈ ধৰিলে। কিন্তু, সদৌশেহত যাদৱপক্ষৰ জয় হল, আৰু ঋক্ষৰাজ জাম্ববানে অগত্যা মিলাপ্ৰীতিৰ প্ৰস্তাৱ গ্ৰহণ কৰি, সেই প্ৰীতিবন্ধন সুদৃঢ় কৰাৰ উদ্দেশ্যে, স্যমন্তক মণি যৌতুকত দি, নিজৰ ৰূপহী জীয়াৰী জাম্ববতীক পৰম প্ৰীতিৰে সৈতে শ্ৰীকৃষ্ণক সম্প্ৰদান দিলে।[১]

অৰণ্যৰপৰা সদলে উলটি আহি শ্ৰীকৃষ্ণদেৱে সদৌ যাদৱ নেতাবৰ্গক সমবেত কৰাই লৈ সিবিলাকক প্ৰসেন-বধ আৰু স্যমন্তক পুনৰুদ্ধাৰৰ বৃত্তান্ত বিবৰি কৈ, সবাৰে সাক্ষাতে সেই মহামণি সত্ৰাজিতক প্ৰত্যৰ্পণ কৰিলে।[২] সেই প্ৰসঙ্গত, ন্যায়পৰায়ণ ধৰ্মপ্ৰাণ শ্ৰীকৃষ্ণৰ অসাধাৰণ স্বাৰ্থত্যাগৰ পৰিচয় পাই, সমবেত যাদৱবৰ্গ বিস্ময় মানি লাজত তলমূৰ কৰিলে। সিবিলাকে ভাবিছিল যে, হেৰোৱা মণি যি বিচাৰি উলিয়াই উদ্ধাৰ কৰি আনিছিলগৈ তেওঁৱেই তাৰ যথাৰ্থ গৰাকী হব। কিন্তু, কাৰ্য্যত সি নহৈ সমনীয়া সত্ৰাজিতে সেই দেৱদুৰ্ল্লভ অপূৰ্ব্ব যত্ন পুনৰপি লাভ কৰাত অপৰাপৰ যাদৱবৰ্গ পেটে-পেটে বিতুষ্ট হল। বাহিৰে ফুটাই কোৱা নাছিল যদিও, ভিতৰি সিবিলাকৰ ভালেমান ঘাই ঘাই নেতাৰ অন্তৰত ঈৰ্ষানল জ্বলি উঠিল। সেইসকলৰ ভিতৰত শতধন্বা, কৃতবৰ্ম্মা আৰু অক্ৰূৰ এই তিনিজন আটাইতকৈ ঘাই। শেহান্তৰত, সিবিলাক তিনিজনৰ ষড়যন্ত্ৰমতে এই স্থিৰ হল যে, শতধন্বাই, যি কোনো উপায়েৰে হওক, সত্ৰাজিতক বধ কৰি স্যমন্তক মণি হাত কৰিব, সেই বাবে শ্ৰীকৃষ্ণই যদি শতধন্বাৰ বিৰুদ্ধে লৰে, তেন্তে অক্ৰূৰ[৩] আৰু কৃতবৰ্ম্মাই তেওঁৰ হৈ গা পাতি ধৰি কৃষ্ণৰ বিৰুদ্ধে লৰিব। সেই অনুসৰি, শতধন্বাই ছেগ চাই এদিন ৰাতি টোপনিত সত্ৰাজিতক বধ কৰি[৪] স্যমন্তক মণি হৰণ কৰিলে। পাচত, সেই কথা জনাজাত হোৱাত, শ্ৰীকৃষ্ণদেৱ অতিকৈ ব্যথিত হৈ, ধৰ্ম্মৰক্ষাৰ্থে আৰু পাপীক পৰাচিত কৰাৰ উদ্দেশ্যে শতধন্বাক বধিবলৈ প্ৰতিশ্ৰুত হল। সেই প্ৰতিশ্ৰুতিত ভয় খাই শতধন্বাই গুপুতে স্যমন্তক মণি অক্ৰূৰৰ হাতত গতাই দি, এদিন ঘোঁৰাত উঠি প্ৰাণ লৈ পলাবলৈ ধৰিছিল, পিচে তাৰ সন্দেদ্ পাই ৰাম-কৃষ্ণই ৰথত চৰি তেওঁৰ পিচে পিচে খেদা ধৰিলে। ভালেমান বাট

(১) হৰিবংশ, বিষ্ণুপুৰাণ, ভাগৱতপুৰাণ আৰু ব্ৰহ্মবৈবৰ্ত্তপুৰাণত স্যমন্তকহৰণ কাহিনীৰ এইছোৱা একে সুৰেৰে গোৱা হৈছে। তথাপি, চতুৰ্থ অংশ বিষ্ণুপুৰাণৰ ১৫শ আধ্যাত, দশম স্কন্ধ ভাগৱতৰ ৫৬ আধ্যাৰ ২৪শ শ্লোকত আৰু ব্ৰহ্মবৈবৰ্ত্তৰ ২১৪ আধ্যাত এইছোৱা কাহিনী বা স্যমন্তকহৰণ বহুলকৈ বৰ্ণোৱা হৈছে।

(২) (ক) সত্ৰাজিতৰ তিনিটি কন্যা আছিল:— সত্যভামা, প্ৰস্বাপিনী, ব্ৰতিনী। স্যমন্তক মণি ওলটাই উপহাৰ পোৱাৰ প্ৰত্যুপহাৰ স্বৰূপে সত্ৰাজিতে সেই তিনিওটি কন্যাকে শ্ৰীকৃষ্ণক সম্প্ৰদান দি কৃতজ্ঞতা দেখুৱালে।—হৰিবংশ।

(খ) সত্ৰাজিতং সমাহূয় সভায়াং ৰাজসন্নিধৌ। প্ৰাপ্তিঞ্চাখ্যায় ভগবান মণিং তস্মৈ ন্যবেদয়ৎ ॥—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৬ আধ্যা ২৭ শ্লোক।

(৩) এওঁৱেই সেই কৃষ্ণপ্ৰাণ অক্ৰূৰ। স্যমন্তক মণিৰ লোভত আজি এওঁৱো শ্ৰীকৃষ্ণৰ বিৰুদ্ধে লৰিবলৈ আগ বাঢ়িলে। সংসাৰত লোভ-মোহৰ অপাৰ মহিমা। 'আন্ত-লীলা' খণ্ডত 'অক্ৰূৰ সংবাদ' আধ্যাত 'অক্ৰূৰ-চৰিত্ৰ' পাঠ কৰি উঠি, সেই অক্ৰূৰেই এই অক্ৰূৰ বুলি পতিয়াবলৈকে সত নাযায়।

(৪) কোনো-কোনো পুৰাণকাৰৰ মতে অকল স্যমন্তকেই সত্ৰাজিতবধৰ আচল কাৰণ নহয়, তাৰ মূলত তেওঁৰ জগন্মোহিনী ৰূপৱতী জীয়াৰী সত্যভামাও আছিল; শতধন্বা, কৃতবৰ্ম্মা আৰু অক্ৰূৰ এই তিনিজন প্ৰথ্যাত যাদৱবীৰ প্ৰাৰ্থীক আওহেলা কৰি সত্যভামাক শ্ৰীকৃষ্ণলৈ সম্প্ৰদান দিয়া আক্ৰোশতে তিনিওৰো ষড়যন্ত্ৰমতে সত্ৰাজিতক শতধন্বাই হত্যা কৰে।

সেই অনুক্ৰমে লৰা-খেদাৰ পাচত, শতধন্বাৰ চেৰাৰী ঘোঁৰীজনী অতিপাত ভাগৰত হামখুৰিখাই পৰি থিতাতে মৰিল। সদোশেহত শতধন্বাই নিৰুপায় হৈ মাটিয়ে-মাটিয়ে লৰি পলাবলৈ ধৰিলে। তেনেস্থলত মাটি পলৰীয়াক ৰথেৰে খেদি ধৰিবলৈ যোৱাটো অবিধি আৰু অধৰ্ম্ম জ্ঞান কৰি ধৰ্ম্মভীৰু শ্ৰীকৃষ্ণই ৰথৰপৰা নামি, অগ্ৰজ বলৰামক তাতে এৰি, অকলশৰে শতধন্বাৰ পিচে-পিচে খেদা ধৰিলে। খেদি নি নি ভালেমান বাট গৈ যেতিয়া শ্ৰীকৃষ্ণই আগচি ধৰিলেগৈ, তেতিয়া শতধন্বায়ো ফেৰ পাতি ধৰিলে। তাতে দুইবো মাজত এখন ঘোৰতৰ মল্লযুদ্ধ লাগি উঠিল। যুদ্ধ বহুপৰলৈ লাগিল, শতধন্বাই প্ৰাণকাতৰে যুঁজিলে, কিন্তু শেহান্তৰত তেওঁ কৃষ্ণৰ হাতত দেহা এৰিবলৈ বাধ্য হ'লগৈ। তাৰ পাচত, শ্ৰীকৃষ্ণই অনুসন্ধান কৰি দেখিলে যে, শতধন্বাৰ দেহাৰ লগত স্যমন্তক মণি নাই! সেই কথাত অতিকৈ বিমৰ্ষ হৈ উলটি আহি তেওঁ অগ্ৰজ বলদেৱক স্বৰূপ কথা জনালেহি। কিন্তু, ৰামে কৃষ্ণৰ সেই কথাত পতিয়ন নগৈ আৰু সন্দেহৰ আপাহত উলটি অনুজক এই বুলি নিন্দা কৰি উচাৎমাৰি আঁতৰি গুচি গল,—"কৃষ্ণ! এই অহাবাটেই তুমি ঘৰলৈ উলটি যোৱাঁগৈ, মই আৰু তোমাৰ লগৰীয়া নহওঁ।" তাৰ পাচত, তিনিবছৰ কাল বলৰামে বিদেহ নগৰত বাস কৰি থাকেগৈ।

পাচত, যেতিয়া জনাজাত হল যে, স্যমন্তক মণি অক্ৰূৰৰ হাতত হে আছে, তেতিয়া তেওঁ শ্ৰীকৃষ্ণলৈ ভয় কৰি ঘৰ-বাৰী এৰি নিৰুদ্দেশ হল। পিচে, ভালেমান দিনৰ মূৰত, যাদৱবৰ্গে নানা তৰহেৰে অভয়দান প্ৰচাৰ কৰাত, অক্ৰূৰ আকৌ উলটি ঘৰলৈ আহিল। সদোশেহত, সদৌ যাদৱ-বৰ্গৰে সৈতে এখন জাতি-মেল পাতি, তালৈ অক্ৰূৰক উগ্ৰসেন ৰজাৰ আজ্ঞা অনুসৰণ কৰাই মতাই নি এই ভাৱে বুজাই কোৱা হল যে, স্যমন্তক তেওঁৰ হাতত থকাটো সকলোৱেই জানি উঠিছে; এতেকে সেই সন্দেহ ভঞ্জনৰ অৰ্থে মাথোন তেওঁ মণিটি ৰাইজক এবাৰ দেখুৱাওকহি, তাৰ পাচত মণি আকৌ তেওঁকে ঘূৰাই দিয়া যাব। অন্তৰত সেই কথা পতিয়াবলৈ টান পৰিছিল যদিও, বাসুদেৱলৈ ভয় কৰি অক্ৰূৰে সমবেত ৰাইজৰ আগত স্যমন্তক মণি উলিয়াই দিলেহি। তেতিয়া, শ্ৰীকৃষ্ণৰ ওপৰত হোৱা ৰাইজৰ অযথা চোভা আৰু সকলো সন্দেহ ভঞ্জন হল। তাৰ পাচতো, সেই অপূৰুগীয়া মহামণি লাভলৈ শ্ৰীকৃষ্ণৰ নিস্পৃহ অগ্ৰজ বলৰামে স্পৃহা দেখুৱাইছিল, আৰু নিজৰ প্ৰিয়তমা ভাৰ্য্যা সত্যভামাই হাবিয়াস কৰিছিল; কিন্তু ধৰ্ম্মভীৰু বাসুদেৱে সেই বাল্যসখা চিৰলগৰীয়া প্ৰাণপ্ৰতিম অগ্ৰজ আৰু অতি আদৰৰ ন-ভাৰ্য্যাৰ আগ্ৰহলৈ অকণো কটাহি নকৰি, স্যমন্তক মণি নিৰ্ব্বিবাদে অক্ৰূৰক পুনৰপি গতাই দিলে।[১]

স্যমন্তক-কাহিনীয়ে শ্ৰীকৃষ্ণৰ ভাৰ্য্যা আৰু দুগৰাকী বঢ়ালে। প্ৰথমা ভাৰ্য্যা ৰুক্মিণীদেৱীৰ বিষয়ে ওপৰত বহলাই কোৱা হৈছে; দ্বিতীয়া আৰু তৃতীয়া ভাৰ্য্যা জাম্বৱতী আৰু সত্যভামাৰ বিষয় স্যমন্তক কাহিনীৰ গৰ্ভত ৰৈছে। কিন্তু, এই তিনি গৰাকীত বাজেও, আৰু পাঁচ গৰাকী ঘাই ঘাই কৃতভাৰ্য্যাৰ নাম পোৱা যায়;— যেনে, শৈব্যা বা সত্যা, কালিন্দী, মিত্ৰবিন্দা, মাদ্ৰী আৰু লক্ষ্মণা;—এয়ে-সেয়ে শ্ৰীকৃষ্ণৰ ভাৰ্য্যা আঠ গৰাকী লেখত লবলগীয়া।[২]

---

(১) বিষ্ণুপুৰাণ আৰু ভাগৱতপুৰাণ মতে স্যমন্তক মণি অক্ৰূৰৰ জিম্মাতে এৰা হয়, কিন্তু হৰিবংশৰ মতে, সেই সাময়িক গৃহ-কন্দল খণ্ডাবৰ অৰ্থে, সদোশেহত স্যমন্তক মণি শ্ৰীকৃষ্ণই স্বয়ং পৰিধান কৰি, তাৰ দ্বাৰাই সেই মণিলৈ লালায়িত জ্ঞাতি-কুটুম্বাদিৰ মুখ মাৰি থলে।

(২) বিষ্ণুপুৰাণ আৰু ভাগৱতপুৰাণ মতে কৃষ্ণভাৰ্য্যা আৰু অনেক। বিষ্ণুপুৰাণ চতুৰ্থ অংশৰ ১৫ আধ্যাৰ ১৯ শ্লোকত শ্ৰীকৃষ্ণৰ স্ত্ৰী ১৬১০১ গৰাকী বুলিছে; যেনে,— "ভগবতোঽপ্যত্ৰ মৰ্ত্তলোকেঽৱতীৰ্ণস্য ষোড়শসহস্ৰাণ্যেকোত্তৰ-শতানি স্ত্ৰীণামভৱন।" ইয়াৰ ভিতৰতে কামৰূপৰ অধিপতি নৰকাসুৰৰ হাতৰপৰা উদ্ধাৰ কৰি নিয়া ১৬০০০ গোপিনীও লেখত পৰিছে। ভাগৱতপুৰাণে কৃষ্ণভাৰ্য্যা সম্বন্ধে এইদৰে কয়, "ৰুক্মিণ্যা হৰণং যুদ্ধে প্ৰথম্য দ্বিৰতো হৰেঃ। হৰস্য জৃম্ভণং যুদ্ধে বাণস্য ভুজকৃন্তনং। প্ৰাগ্‌জ্যোতিষপতিং হত্বা কন্যানাং হৰণঞ্চ যৎ॥"—শ্ৰীভাগৱত দ্বাদশ স্কন্ধ, ১২ আধ্যা, ২৬ শ্লোক। এই আটাইবিলাক আগৰদিনৰ কামৰূপীয়ানী, বা আধুনিক দেশৰ নামানুসাৰে অসমীয়ানী গোপিনী। 'হৰিবংশ' মতে জাম্বৱতীও কামৰূপিনী হে; কাৰণ, তেওঁৰ

দশম আধ্যা

শ্ৰীকৃষ্ণৰ দিগ্বিজয়

অকল আত্ম-কন্দল খণ্ডন কৰোঁতেই যে শ্ৰীকৃষ্ণ দ্বাৰকাত ঘোৰ অশান্তিৰ গাপত জহিব লগাত পৰিছিল এনে নহয়, বাহিৰৰ শত্ৰু আক্ৰমণৰপৰা জ্ঞাতি-ৰাজ্য ৰক্ষা কৰা কাৰ্য্যতো তেওঁ চৌপাশে উফৰি ফুৰিব লগা হৈছিল। অকল সিমানেও নহয়, শ্ৰীকৃষ্ণ দিগ্বিজয়লৈকো বাহিৰ হৈছিল। শ্ৰীমদ্ভাগৱত[১], হৰিবংশ আৰু বিষ্ণুপুৰাণত শ্ৰীকৃষ্ণৰ ভালেমান দিগ্বিজয়ৰ বিষয়ে বহুল বৰ্ণনা পোৱা যায়। মহাভাৰততো[২] সেই দিগ্বিজয় বিষয়ক কেইবাটাও বুৰঞ্জী-মূলক ঘটনাৰ বৰ্ণনা আছে। হৰিবংশ[৩], বিষ্ণুপুৰাণ[৪] আৰু মহাভাৰতৰ সেই দিগ্বিজয়ৰ ঘটনাৱলীৰ মাজৰপৰা বাছি বাছি গোটাচেৰেক বিষয়ে মাথোন তলত উন্মুকিওৱা গল। যেনে :—

১। প্ৰাগ্‌জ্যোতিষপুৰ আক্ৰমণ—দ্বাৰকাত যাদৱ-সকলৰ মাজত জ্ঞাতি-বিপ্লৱ ঘটি থাকোঁতেই ইফালে কামৰূপত, অৰ্থাৎ পুৰণি অসমত নৰকাসুৰ নামে এজন কংস সদৃশ্ মহা অত্যাচাৰী ৰজা বৰ অধৰমী হৈ উঠিছিল। তেওঁৰ স্বেচ্ছাচাৰ, ব্যভিচাৰ আৰু পাশৱিক উদ্দণ্ডালিত কামৰূপীয়া প্ৰজাৰ অশান্তিৰ পাৰ নোহোৱা হৈছিল। সদৌশেহত, কামৰূপীয়া প্ৰজাৰ হাহাকাৰ ধ্বনি দ্বাৰকাৰ শ্ৰীকৃষ্ণৰ কাণত পৰিল গৈ। ধৰ্ম্মাত্মা শ্ৰীকৃষ্ণদেৱৰ প্ৰাণ সেই ধ্বনিত চঁকি উঠিল। তেওঁ ততালিকে যথাৱতৰূপে সৈন্য-সামন্ত লগত লৈ আহি কামৰূপৰ ৰাজধানী প্ৰাগ্‌জ্যোতিষপুৰ[৫] আক্ৰমণ কৰি, নৰকাসুৰৰে সৈতে এখন তয়াময়া ৰণ পাতিলেহি। ৰণত নৰকাসুৰ পৰিল। শ্ৰীকৃষ্ণই নৰকৰ বৰপুত্ৰ ভগদত্তক পিতৃৰ ৰাজপাটত বহুৱাই ৰজা পাতি কামৰূপৰ ভৱিষ্যত শান্তিৰ দিহা লগাই থৈ আৰু নৰকৰ বন্দীশালৰপৰা ভালেমান নৰ-নাৰী মুক্ত কৰি, ভালেমান অনাথিনী নাৰীক লগত লৈ নিজৰ ৰাজ্যলৈ উলটি গল। উলটি যাবৰ সময়ত নৰকৰ ৰক্ষিতা যোল-হাজাৰ গোপিনীয়ে মুক্তিলাভ কৰি উঠি, শ্ৰীকৃষ্ণৰ চৰণত পৰি কৃতজ্ঞতা জ্ঞাপন কৰিলে। সিবিলাকে মুক্তিদাতা বাসুদেৱক হৃদয়-স্বামী ইষ্ট-দেৱতাৰূপে ভজনা কৰি বাহ্যিক বিদায় দিলে; আৰু সিবিলাকৰ এভাগে কৃষ্ণ-চৰিতত বিমোহিত হৈ তেওঁৰ লগতে লগ লাগি গৈ দ্বাৰকাবাসিনী হলগৈ। সেই যাত্ৰাত শ্ৰীকৃষ্ণই নৰকাসুৰক বধ কৰি, তেওঁৰ অৰ্থাগাৰত সোমাই "মণি, মুকুতা, পোৱাল, বৈদূৰ্য্য, মৰকত চন্দ্ৰকান্ত, হীৰা, সোণ ইত্যাদি ৰাশি ৰাশি ধন-ৰত্ন আৰু শশাঙ্ক সদৃশী মহাৰ্হ শয্যা, প্ৰদীপ্তানলতুল্য সিংহাসন, বৰ্ষুক বাৰিসদৃশ্ সুধাংশুপ্ৰভ সুবৰ্ণ দণ্ড সমন্বিত ৰুচিৰ সুমহৎ ৰাজছত্ৰ"[৬] দেখি আচৰিত মানিলে, আৰু পৃথিবীৰ ভিতৰত অতুলন ৰত্ন-প্ৰসূতী ভূমি বুলি কামৰূপৰ গুণ বখানিবলৈ ধৰিলে। কিন্তু তেনেকুৱা সম্পত্তিলৈকো ধৰ্ম্মাত্মা নিস্পৃহ বাসুদেৱে লোভ নকৰিলে; তেওঁ নিদৰ্শনস্বৰূপ প্ৰত্যেক বিধৰ যৎকিঞ্চিৎ মাথোন চিন্ লগত লৈ, বাকী সেই অতুল ঐশ্বৰ্য্য নৰকৰ পুত্ৰগণক গতাই দি স্বস্থানলৈ প্ৰস্থান কৰিলে।[৭]

২। পৌণ্ড্ৰবৰ্দ্ধন আক্ৰমণ।—শ্ৰীকৃষ্ণই দ্বাৰকাত যাদৱ-সকলৰ মাজত সামাজিক আৰু ৰাজনৈতিক বিষয়ৰ গঢ়

আন এটা নাম ৰোহিণী বা কামৰূপৰ মায়াবিনী আছিল, কিয়নো, তেওঁ ভালুকী হৈয়ো মানবী বেশেৰে মানৱ কৃষ্ণক ভজিছিল। সি যি হওক, সেইবোৰ সংগ্ৰহ প্ৰকাশত পুৰাণকাৰৰ কল্পনাৰ অতিচাৰ ঘটিছে যদিও, তাত ভালেমান অমূল্য পৌৰাণিক তথ্য পোত্‌খাই ৰৈছে; তাক সমূলি কাল্পনিক বুলি উৰাই নপঠিয়াই আউটি নিমজ কৰি ললে, হিন্দু-বুৰঞ্জীৰ বিশিষ্ট উপকৰণ লাভ হব।

(১) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৫৪—৬০ আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, উদ্যোগপৰ্ব্ব, আৰু বনপৰ্ব্ব।

(৩) হৰিবংশ, বিষ্ণুপৰ্ব্ব, নৰক-বধ, ৰুক্মিণী-হৰণ, উষাহৰণ অধ্যায়াৱলী।

(৪) বিষ্ণুপুৰাণ, পঞ্চম খণ্ড, ১৫—২৮ আধ্যা।

(৫) পুৰণি অসম বা কামৰূপৰ ৰাজধানী প্ৰাগ্‌জ্যোতিষপুৰ এতিয়াৰ গুৱাহাটী।

(৬) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৫২ আধ্যা।

(৭) হৰিবংশ, বিষ্ণুপৰ্ব্ব, ৫৩ আধ্যা।

লগোৱাত ব্যগ্ৰ হৈ থকা কালতে, ইফালে পৌণ্ড্ৰবৰ্দ্ধনত[১] পৌণ্ড্ৰবংশীয় বাসুদেৱ নামে এজন ৰজাৰ অন্যায়, অধৰম, অত্যাচাৰ আৰু ব্যভিচাৰাদিৰ বতৰা পাই শ্ৰীকৃষ্ণদেৱে সেই অধৰমী ৰজাক আক্ৰমণ কৰিবলৈ মনে-মনে পাঙ্গি থাকোতেই, সেই পৌণ্ড্ৰ-বাসুদেৱ ৰজাই উপ্‌যাচি শ্ৰীকৃষ্ণক দ্বৈৰথ[২] ৰণলৈ আহ্বান কৰি ললে। মইমতীয়া পৌণ্ড্ৰীয়া বাসুদেৱে চৌপাশে ঘোষণা কৰি দিলে যে, তেওঁ হে আচল বাসুদেৱ; দ্বাৰকাৰ পলৰীয়া বাসুদেৱ নকলী হে! এতেকে, বিষ্ণুপ্ৰদত্ত শঙ্খ-চক্ৰ-গদা-পদ্ম দ্বাৰকাৰ বাসুদেৱ শ্ৰীকৃষ্ণই তেওঁক শোধাই দিবহি লাগে। সেই আপাহতে বসুদেৱসুত দেৱকীনন্দন বাসুদেৱে সেই দ্বৈৰথ ৰণলৈ ততালিকে যাত্ৰা কৰিলে। যথাসময়ত দুই বাসুদেৱৰ মাজত তুমুল সংগ্ৰাম লাগি উঠিল, আৰু পৰিণামত পৌণ্ড্ৰবৰ্দ্ধনৰ বাসুদেৱ ৰণত পৰিল। সেই ৰণত সেই কালৰ বাৰাণসীৰ অধিপতি-জনো গোপনে লিপ্ত আছিল; শ্ৰীকৃষ্ণৰ জয় হোৱাত বাৰাণসীৰ অধিপতিয়ে পৌণ্ড্ৰ-বাসুদেৱৰ লগৰীয়া ষড়যন্ত্ৰ-কাৰী লোকবিলাকক লগত লৈ, উলটি কাশীধামত সোমালেগৈ। সেই পৰাজিত অধৰমীদলক শ্ৰীকৃষ্ণৰ হাতত সমৰ্পণ কৰিবলৈ অমান্তি হৈ কাশীৰাজে সিহঁতক নিৰাপদ কৰিবলৈ হে যুগুতি কৰিলে,—সিহঁতক সহজে বিচাৰি নোপোৱাকৈ ৰাজ্যৰ কেইওফালে সিঁচৰতিকৈ পলুৱাই থলে। যাদৱ সেনাবৰ্গে সিহঁতক বিচাৰি উলিয়াব নোৱাৰি, অগত্যা, সদোশেহত শ্ৰীকৃষ্ণৰ অজ্ঞাতে, কাশীধামত জুই লগাই দিলে, সেই জুয়ে বাৰাণসী পুৰি ধ্বংস কৰিলে!

৩। সিন্ধু-আক্ৰমণ।—শ্ৰীকৃষ্ণদেৱে দ্বাৰকাত সাধাৰণ-তন্ত্ৰ শাসনপ্ৰণালী প্ৰৱৰ্ত্তন কৰাৰ সময়ত, সিন্ধু ৰাজ্যৰ অধিপতি শাল্বৰ স্বেচ্ছাচাৰী শাসনত প্ৰজাৰ হাহাকাৰ লাগি উঠিল। সাম্য, মৈত্ৰী আৰু স্বাধীনতাৰ ভাবত তন্ময় বাসুদেৱ সিন্ধুৰাজৰ সেই স্বেচ্ছাচাৰিতাৰ সংবাদত আগৰে-পৰা বিৰক্তিৰ ভাবত উত্তেজিত হৈ আছিল; গতিকে পাৰ্য্যমানে সোনকাল কৰি তেওঁ শাল্বৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিলে। সেই যাত্ৰাৰ সম্ভেদ্‌ পাই সিফালে প্ৰবলপ্ৰতাপী সিন্ধু-ৰাজেও কৃষ্ণ-বিনাশন উদ্দেশে বিপুল আয়োজনৰে সৈতে ফেৰ পাতি ধৰিলে; যাদৱ আক্ৰমণৰপৰা নগৰ ৰক্ষা কৰাৰ বাব সেনাপতিসকলক দি, তেওঁ স্বয়ং শ্ৰীকৃষ্ণৰে সৈতে ৰণ দিবলৈ সাজু হল, আৰু তেওঁৰ শৰণীয়া আৰু মিত্ৰৰাজ-সকলৰ দ্বাৰাই সিফালে দ্বাৰকা আক্ৰমণ কৰাবলৈ দিহা লগালে। ৰাজনৈতিক পুৰুষ ৰণপণ্ডিত শ্ৰীকৃষ্ণই কিন্তু সেই দ্বাৰকা-আক্ৰমণৰ বিষয় আগেয়েই ভাবি পাইছিল; সেই কাৰণে তেওঁ সিন্ধু-আক্ৰমণলৈ যাত্ৰা কৰাৰ সময়ত অগ্ৰজ বলৰাম, সেনাপতি সাত্যকি, আৰু পুত্ৰ প্ৰদ্যুম্ন কৌৰৱক দ্বাৰকাৰক্ষক পাতি থৈ আহিছিল। গতিকে, সিফালে চক্ৰান্তৰ ওপৰত দ্বাৰকা ধ্বংস আৰু পিতাক বসুদেৱৰ নিধন সংবাদ[৩] শত্ৰুপক্ষে ৰাষ্ট্ৰ কৰি দিয়াত শ্ৰীকৃষ্ণ লেশমানো নটলিল। তেওঁ বিষম বিক্ৰমেৰে আক্ৰমণ কৰি শাল্বক ৰণৰ প্ৰথম হেচাতে সম্পূৰ্ণ হৰুৱাইছিল, এনেতে প্ৰাগ্‌জ্যোতিষ-পুৰৰপৰা কামৰূপীয়া সৈন্যবলৰ সহায় হৈ শাল্বৰ সপক্ষে যোগ দিয়াত, তেওঁ আকৌ সমুখ-সংগ্ৰামলৈ উৎসাহেৰে আগ বাঢ়িলে। ফলত, দুয়ো পক্ষৰ মাজত একেৰাহে ২৭ দিন[৪] দিনে-ৰাতিয়ে দোৰ্ঘোৰ ৰণ চলিবলৈ ধৰিলে;—দুয়োপক্ষ অস্থিৰ হৈ পৰিল, কোন্‌ হাৰে কোন্‌ জিকে তাৰ চিন্‌ নোহোৱা হল। শাল্বৰ বিবিধ ভেলেকী-বাণে আৰু

(১) (ক) শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৬৬ আধ্যা।
(খ) মহাভাৰত, পৌণ্ড্ৰ বাসুদেৱবধাধ্যায়।
(গ) দশকুমাৰ-চৰিত।
(ঘ) চীন-পৰিব্ৰাজক হিৱেণচাঙৰ ভাৰত-ভ্ৰমণ।

(২) দুজন ৰজা বা দুজন সমনীয়া বীৰ, নাইবা দুজন বিখ্যাত যোদ্ধাৰ মাজত এজনে অপৰজনক আহ্বান কৰি লৈ কৰা ৰণ; কিম্বা তেনে দুজনৰ মাজত পণ বাথি কৰা মল্লযুদ্ধ, অসিযুদ্ধ, শৰযুদ্ধ ইত্যাদিক দ্বৈৰথ-ৰণ বোলা যায়।

(৩) দেৱক্যা প্ৰহিতোঽস্মীতি নত্বা প্ৰাহ বচো ৰুদন্।
কৃষ্ণ কৃষ্ণ মহাবাহো পিতা তে পিতৃবৎসল।
বদ্ধোপনীতঃ সাল্বেন শৌনিকেন যথা পশুঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৭৭ আধ্যা, ১৫ শ্লোক।

(৪) এবং যদুনাং সাল্বানাং নিঘ্নতামিতৰেতৰং।
যুদ্ধং ত্ৰিনবৰাত্ৰং তদভূত্তুমুলমূৰণং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৭৭ আধ্যা, ৫ শ্লোক।

কূট-কৌশলে জ্ঞান, বিজ্ঞান আৰু ঐশ্বৰ্য্যৰ আধাৰ স্বৰূপ কৃষ্ণদেৱক শোক-মোহাদিৰ[১] বিভীষিকাৰে সৈতে অলপো টলাব নোৱাৰিলে। বাসুদেৱে সিন্ধু ৰাজ্যৰ ৰাজধানী সৌভপুৰত শাল্বৰে সৈতে বিবিধ বিধানে অস্ত্রযুদ্ধ চলাবলৈ ধৰিলে। 'পিচে, সদৌশেহত, পুৰন্দৰৰ হাতত বজ্ৰাহত বৃত্রৰ দৰে, শ্ৰীকৃষ্ণৰ সুদৰ্শন চক্ৰাহত হৈ[২] কীৰিটিযুত শাল্বৰ শিৰোচ্ছেদ হল। পৰিণামত, শাল্বক বধ কৰি তেওঁৰ সহযোগী অধৰমী অন্যান্য ৰজা আৰু পাৰিষদবৰ্গকো যথাক্ৰমে দমাই লৈ শ্ৰীকৃষ্ণই সিন্ধু প্ৰদেশত ধৰ্মৰাজ্য স্থাপন কৰি, পৰম আনন্দেৰে দ্বাৰকালৈ প্ৰত্যাগমন কৰিলে।

৪। গান্ধাৰ জয়, কলিঙ্গ জয়, পাণ্ড্য জয়, একলব্যৰ সংহাৰ ইত্যাদি।—শ্ৰীকৃষ্ণৰ দিগ্বিজয়ৰ ভিতৰত আৰু ভালেমান বিষয় লেখত পৰে। কিন্তু, হৰিবংশত তাৰ বহুল বৰ্ণনা নাই, মহাভাৰততো নাই। এইবোৰ-এতিয়া যদিও কিংবদন্তীমূলক, তথাপি স্বৰূপ ঘটনা। সেই আটাইবোৰ ধৰ্ম-ভেঁটীৰ ওপৰত প্ৰতিষ্ঠিত; কিয়নো অন্যায়, অধৰ্ম, অনীতি নাশ কৰি তাৰ ঠাইত ন্যায়, ধৰ্ম, নীতি স্থাপন কৰাৰ উদ্দেশ্যেই ন্যায়বান, ধৰ্মপ্ৰাণ, নীতিপাল ভগবান শ্ৰীকৃষ্ণই সেইবোৰ দিগ্বিজয়ত ভাৰত-ভ্ৰমণ কৰিছিল।

৫। শোণিতপুৰ আক্ৰমণ।[৩]—পূৰণি অসম বা কামৰূপৰ অন্যতম প্ৰধান নগৰ শোণিতপুৰত বাণ নৰপতি অধিপতি আছিল। শ্ৰীকৃষ্ণৰ অন্ত্যলীলাৰ আৰম্ভণত তেওঁৰ নাতি অনিৰুদ্ধ কোঁৱৰক বাণ নৰপতিৰ পৰম ৰূপৱতী কন্যা উষাদেবীৰ প্ৰিয়সখী চিত্ৰলেখাই অদ্ভুত বুদ্ধি-কৌশলেৰে দ্বাৰকাৰপৰা শোণিতপুৰলৈ হৰণ কৰি আনি তেওঁৰে সৈতে গোপনে উষাদেবীৰ গান্ধৰ্ব্ব বিয়া সম্পাদন কৰাত ক্ৰুদ্ধ হৈ বাণ ৰজাই কোঁৱৰক বন্দী কৰি ৰখা ঘটনাই এই আক্ৰমণৰ সংসৰ্গত শ্ৰীকৃষ্ণ আৰু বাণৰজাৰ মাজত এখন তয়াময়া ৰণ লাগে।[৪] সেই ৰণত বাণ ৰজাক ঘটুৱাই শ্ৰীকৃষ্ণই উষাদেবী সমন্বিতে নাতি-কোঁৱৰ অনিৰুদ্ধক উদ্ধাৰ কৰি স্বৰাজ্য দ্বাৰকালৈ উলটি যায়। এই আখ্যানৰ বহুল বৰ্ণনা যথা-ঠাইত দিয়া যাব।

এইবিলাকত বাজেও, শ্ৰীকৃষ্ণই নানাকালে নানা ৰাজ্যত দিগ্বিজয় কৰিছিল, আৰু ভালেমান ৰণ-বিগ্ৰহত তেওঁ স্বয়ং লিপ্ত আছিল। বাহুল্যৰ ভয়ত সেই আটাইবিলাকৰ বিষয়ে সম্প্ৰতি একেঠাইতে উল্লেখ কৰা নহল যদিও, ঘাই ঘাই খনচেৰেকৰ বিষয়ে ঘটনাসংসৰ্গত যথাঠাইত উল্লিখিত হব। শ্ৰীকৃষ্ণই দিগ্বিজয়ৰ অৰ্থে য'লৈকে গৈছিল, ত'তে তেওঁৰ জয় হৈছিল; আচৰিত এই যে সেই দিগ্বিজয়ৰ কোনো এখন ৰণত তেওঁ পৰাস্ত হোৱা নাছিল।

একাদশ আধ্যা

কুৰু-পাঞ্চাল-পাণ্ডৱ-সংবাদ

শ্ৰীকৃষ্ণৰে সৈতে কুৰু-পাঞ্চাল-পাণ্ডৱৰ কেতিয়াৰপৰা সাক্ষাৎস্বৰূপ সম্পৰ্ক ঘটিল, তাৰ বিচাৰ কৰাৰ আগেয়ে কুৰু-পাঞ্চাল-পাণ্ডৱৰ উৎপত্তি, স্থিতি আৰু ব্যাপ্তিৰ বিষয়ে বিচাৰ লোৱাৰ প্ৰয়োজন। গতিকে, তলত সেই তিনিটা ফৈদৰ আঁতিগুৰি সম্পৰ্কে চমুকৈ কোৱা যায়।

(১) ক শোকমোহৌ স্নেহো বা ভয়ং বা যেহজ্ঞসম্ভবাঃ।
ক্বচাখণ্ডিত-বিজ্ঞান-জ্ঞানৈশ্বৰ্য্য স্বৰেড়িতঃ॥

অৰ্থাৎ, যি অজ্ঞানী, তাৰ হৃদয়ত মাথোন শোক, মোহ, স্নেহ, ভয় আদি প্ৰাকৃতিক জঘন্য বৃত্তিবোৰৰ উদ্ৰেক হয়, কিন্তু যি অখণ্ড জ্ঞান-বিজ্ঞান-ঐশ্বৰ্য্যৰ আধাৰ, সেই পূৰ্ণানন্দ-স্বৰূপ পৰম চৈতন্য পুৰুষৰ হৃদয়ত সেইবোৰ বৃত্তিয়ে কাচিতো প্ৰশ্ৰয় নাপায়।

—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৭৭ আধ্যা, ২১ শ্লোক।

(২) জহাৰ তনৈব শিৰঃ সকুণ্ডলং কিৰীটযুক্তং পুৰুমায়িনো হৰিঃ।
বজ্ৰেণ বৃত্ৰস্য যথা পুৰন্দৰো বভুব হাহেতি বচস্তদা নৃণাং॥

শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৭৭ আধ্যা, ২৪ শ্লোক।

(৩) এই ঘটনাৰ ঠাই এইখিনিত নহয়; শ্ৰীকৃষ্ণৰ অন্ত্যলীলাৰ আৰম্ভণত হে ইয়াৰ আচল ঠাই।

(৪) এই যুদ্ধ "হৰিহৰ-যুদ্ধ" নামে খ্যাত। বিষ্ণুৰ অংশ শ্ৰীকৃষ্ণ আৰু হৰভক্ত বাণ নৰপতিৰ মাজত লগা ৰণ কাৰণেই ইয়াক সেই আখ্যা দিয়া যায়।

একে বংশ-মূলৰপৰা উৎপন্ন হোৱা কুৰু আৰু পাঞ্চাল নামে পুৰণি দুটা আৰ্য্যজাতীয় ফৈদ আছিল। সিবিলাকে বসতি কৰা ঠাইৰ নামানুসাৰেই সিবিলাকৰ নাম। আগৰ দিনত আৰ্য্যাৱৰ্ত্তত[১] কুৰুজঙ্গল[২] আৰু পাঞ্চাল[৩] নামে দুখন বৰ উন্নত চহৰ আছিল। চহৰদুখন লগালগি বা নিচেই ওচৰাউচৰিকৈ অৱস্থিত আছিল। আদিতে কুৰু আৰু পাঞ্চাল একেটা বংশমূলৰপৰা উৎপন্ন হয়, কিবা কাৰণত, সম্ভৱতঃ গৃহকন্দলৰ পৰিণামত, সেই বংশটো ফাটি দুটা ফৈদ হয়। তাৰ পাচত, কুৰুজঙ্গল আৰু পাঞ্চাল নামে দুঠাইত দুটা ফৈদে ঠান্ ঠান্ হৈ বসতি কৰিলেগৈ। সেই আপাহতে কুৰুজঙ্গলত বাস কৰা ফৈদ কুৰু আৰু পাঞ্চালত থিতাপি হোৱা ফৈদ পাঞ্চাল নামে অভিহিত হয়। তেতিয়াৰপৰাই দুয়ো ফৈদৰ মাজত আজন্ম বৈৰীভাব সুগুচিল আৰু সি ক্ৰমাৎ বাঢ়িবলৈহে ধৰিলে। সেই বৈৰী-ভাবৰ ফলেই সদৌশেহত কুৰুক্ষেত্ৰৰ মহাযুদ্ধ। সেই মহাৰণৰ পৰিণামত দুয়ো ফৈদ সমূলি নিৰ্ম্মূল হয়।[৪]

কুৰু-পাঞ্চালৰ উৎপত্তি, স্থিতি, ব্যাপ্তি আৰু যাদৱৰ লগত সম্বন্ধ বিষয়ক বিচাৰৰ সুচলাৰ্থে এই থলতে কুৰু-পাঞ্চালবংশবৃক্ষ এজুপি ৰুই দিয়া গল। এই পুথিৰ পাতত সেই বৃক্ষৰ গুৰি ওপৰ আৰু আগ তল হৈ অঙ্কিত হৈছে। ওপৰত যযাতিক গুৰি ধৰি তললৈ নামি আহিলে যাদৱ, কৌৰৱ আৰু পাঞ্চালৰ আগ পোৱাহি যায়। যযাতিৰ-পৰাও ওপৰলৈ উজাই গুৰি ধৰা হলে, ৰামায়ণৰ ৰঘুবংশ এই তিনি বংশৰ লগ লাগি, এক আদিমূল মৰীচিৰপৰা ৰাঘৱ, যাদৱ, কৌৰৱ আৰু পাঞ্চাল এই চাৰি বংশঠাল বা ফৈদৰ উৎপত্তি ধৰা পৰিলহেঁতেন। গছজুপিৰ ডাল-ঠাল-ঠেঙুলিবোৰ ফেৰমেলি পৰস্পৰ ক্ৰমাৎ নিলগ হৈ যোৱাত, সেই বংশমূলোত্তৰ ঠাল-ঠেঙুলিৰ মাজত বৈবাহিক সম্বন্ধ ঘটাৰ পটন্তৰ জিলিকি ৰৈছে।

কুৰুবংশধৰ শান্তনুৰ তিনিজন পুত্ৰ,—ভীষ্ম, চিত্ৰাঙ্গদ আৰু বিচিত্ৰবীৰ্য্য। ভীষ্মৰ মাতৃ-বিয়োগ হোৱাত, শান্তনুৱে দ্বিতীয়া ভাৰ্য্যা পৰিগ্ৰহ কৰে। এই দ্বিতীয় ভাৰ্য্যা জালোৱা কৈৱৰ্ত্তৰ কন্যা, নাম মৎস্যগন্ধা।[৫] তেওঁৰ অন্যতম নাম সত্যৱতী।[৬] ঘটনাচক্ৰত মৎস্যগন্ধাৰ প্ৰতি শান্তনুৰ আসক্তি হোৱাত, তেওঁ সেই কৈৱৰ্ত্তকন্যাক ভাৰ্য্যা পৰিগ্ৰহ কৰিবলৈ মানস কৰিলে। কিন্তু, মৎস্যগন্ধাৰ পিতাক সেই প্ৰস্তাৱত মান্তি নহল। গতিকে, সেই জঞ্জাল ভাঙিবৰ উদ্দেশ্যে মহাজ্ঞানী ধৰ্ম্মাত্মা পিতৃপৰায়ণ ভীষ্মদেৱ সেই সমস্যাৰ মাজত সোমালগৈ। বিস্তৰ বুজনি দিয়াতো ভীষ্মৰ জীৱন্ত কালত তেওঁৰ পিতাকলৈ মৎস্যগন্ধাক পিতাকে বিয়া দিবলৈ স্বীকাৰ নকৰিলে। সদৌশেহত, ভীষ্মই ধৰ্ম্ম-সাক্ষী কৰি এই প্ৰতিজ্ঞা কৰিলে যে, তেওঁ কদাপি ৰাজ-পাটত নুঠে, আৰু তেওঁৰ অঙ্গজ কোনো কৌৰৱ কুৰু-ৰাজ-পাটত যাতে উঠিবলৈ নাপায়, সেই অৰ্থে তেওঁ আজীৱন অবিবাহিত থাকিব। সেই চুক্তিত মৎস্যগন্ধা শান্তনুৰ ভাৰ্য্যা পৰিগৃহীত হয়।

শান্তনুৰ ঔৰসত সত্যৱতীৰ দুটি পুত্ৰ লাভ হয়,—চিত্ৰাঙ্গদ আৰু বিচিত্ৰবীৰ্য। এই পুত্ৰ দুটিৰ নাবালক অৱস্থাতে শান্তনু ৰজাৰ অকালমৃত্যু ঘটে। সেই দুৰ্ঘটনাৰ অলপ পাচতে সত্যৱতীৰ বৰপুত্ৰ চিত্ৰাঙ্গদৰো অবিবাহিত

(১) উত্তৰে হিমালয় পৰ্ব্বত, দক্ষিণে বিন্ধ্য পৰ্ব্বত, পূবে পূৰ্ব্বসাগৰ আৰু পছিমে পছিমসাগৰ এই চতুঃসীমাৰ মাজৰ ভাৰতভাগক আৰ্য্যাৱৰ্ত্ত বোলা যায়।

—মনুসংহিতা, ২য় আধ্যা।

(২) কুৰুজঙ্গল – এতিয়াৰ দিল্লী চহৰ।

(৩) পাঞ্চাল—এতিয়াৰ গাড়োৱাল চহৰ।

(৪) মহাভাৰত, সভাপৰ্ব্ব, বনপৰ্ব্ব, বিৰাটপৰ্ব্ব, উদ্যোগপৰ্ব্ব, ভীষ্মপৰ্ব্ব, দ্ৰোণপৰ্ব্ব, কৰ্ণপৰ্ব্ব, শল্যপৰ্ব্ব, গদা-পৰ্ব্ব, সৌপ্তিকপৰ্ব্ব, ঐষীকপৰ্ব্ব, শান্তিপৰ্ব্ব।

(১) তেওঁৰ গা মাছ-মাছ গোন্ধোৱাৰ আপাহতে তেওঁক মৎস্যগন্ধা বোলা হয়।

(২) মৎস্যগন্ধাৰ কাহিনীয়ে আৰু এটা মহৎ উৎপত্তিৰ আঁতি-গুৰি উলিয়ায়। সেই উৎপত্তি হৈছে মহামুনি ব্যাসদেৱৰ জন্ম-কাহিনী। মৎস্যগন্ধাৰ অকুমাৰী কালত তেওঁৰ লগত ঘটনা-ক্ৰমত পৰাশৰ মুনিৰ সঙ্গম হয়। তাৰ ফলত ব্যাসদেৱৰ জন্ম। পৰাশৰমিলনৰ পাচৰপৰা মৎস্য-গন্ধা সুগন্ধা হোৱাত, তেওঁ গন্ধৱতী নামে অভিহিত হয়; আৰু সেই আপাহতে তেওঁৰ নাম সত্যগন্ধা আৰু সত্যৱতী হয়।—মহাভাৰত আদিপৰ্ব্ব, আস্তিক পৰ্ব্বাধ্যায়,

৬৩ আধ্যা।

যাদৱ-কৌৰৱ-পাঞ্চাল বংশবৃক্ষ



অৱস্থাতে অকালমৃত্যু হয়। সেইকাৰণে, বংশধৰ লাভৰ উদ্দেশে সত্যৱতীয়ে সুমলীয়া পুত্ৰ বিচিত্ৰবীৰ্যাক চেমনীয়া কালতে অম্বা আৰু অম্বালিকা নামে দুগৰাকী সুন্দৰী কন্যা বিয়া কৰাই দিয়ে। কিন্তু, তেওঁৰো অকালত অপুত্ৰক অৱস্থাতে মৃত্যুৰ মুখত পৰে! তাৰোপৰি, তৎপূৰ্ব্বতে আজীৱন অবিবাহিত থাকি কদাপি ৰাজপাটত নুঠিবলৈ শান্তনুৰ প্ৰথমা ভাৰ্য্যাৰ প্ৰথম পুত্ৰ ভীষ্মদেৱে প্ৰতিজ্ঞা কৰি থৈছে। গতিকে, বংশৰক্ষাৰ্থে নিৰুপায় হৈ, বিধবা ৰাজ-বোৱাৰী অম্বা আৰু অম্বালিকাৰ গৰ্ভত সন্তান উৎপাদন কৰিবলৈ বিধবা ৰাণী সত্যৱতীয়ে তেওঁৰ অবৈধ পুত্ৰ[১] ব্যাসদেৱক আদেশ দিলে।[২] তাৰ ফলস্বৰূপ অম্বাৰ গৰ্ভত ধৃতৰাষ্ট্ৰ আৰু অম্বালিকাৰ গৰ্ভত পাণ্ডুৰ জন্ম হয়। যথা-কালত চম্ফল ডেকা হলত, ধৃতৰাষ্ট্ৰই গান্ধাৰৰ[৩] ৰাজকন্যা গান্ধাৰীক, আৰু পাণ্ডুৱে যাদৱ ৰাজকোঁৱৰ বসুদেৱৰ ভনীয়েক শ্ৰীকৃষ্ণৰ পেহীয়েক পৃথাক বিয়া কৰায়। পৃথাৰ আন এটা নাম কুন্তী। তাৰ পাচত, পাণ্ডুৱে আৰু এগৰাকী ভাৰ্য্যা গ্ৰহণ কৰে,—তেওঁ মদ্ৰৰাজকন্যা মাদ্ৰী।

ধৃতৰাষ্ট্ৰ জন্মান্ধ[৪] আছিল। গতিকে, পিতৃ ৰাজপাটত তেওঁ উঠিব নোৱাৰিলে, ভায়েক পাণ্ডুৱেহে ৰাজপাট পালে। তথাপি, ভায়েকৰ ভক্তিৰ চিন্ স্বৰূপে ককায়েকে অগ্ৰজ-ৰাজৰ সন্মান পাইছিল। এনেকুৱা মিলাপ্ৰীতিৰ ভাৱে বহুকাল যোৱাৰ পাচত, সিবিলাকৰ মাজত শকুনি সোমাল, আৰু তাৰ ফলত দুই ভাই-ককাইৰ ভিতৰত ঘোৰতৰ কন্দল লাগি উঠিল। সেই আপাহতে শান্ত স্বভাৱী ধীৰ পুৰুষ পাণ্ডুৰাজে ৰাজ্যত্যাগ কৰি উদাস প্ৰাণেৰে হিমালয়ৰ পদত আশ্ৰয় ললেগৈ। গতিকে, কণা ধৃতৰাষ্ট্ৰই ভাতৃবৰ্জ্জিত সিংহাসনত বহি ৰাজকাৰ্য্য চলাবলৈ ধৰিলে। কিন্তু, আচলতে তেওঁ নামত হে ৰজা আছিল, সদো ৰাজকাৰ্য্য তেওঁৰ কু-মন্ত্ৰী শকুনিৰ মন্ত্ৰণামতে হে পৰিচালিত হৈছিল।

বিধৱ ৰাজবোৱাৰী অম্বা অম্বালিকাই পুত্ৰলাভ কৰাৰ ছেগতে সিবিলাকৰ লিগিৰী এজনীয়েও ব্যাসদেৱৰ ঔৰসত এটি পুত্ৰ লাভ কৰে,—তেওঁৱেই ধৰ্ম্মপ্ৰাণ জ্ঞানী বিদুৰ। মোমায়েক মন্ত্ৰী শকুনিৰ কুমন্ত্ৰণাত ধৃতৰাষ্ট্ৰৰ পৰিয়াল যিদৰে পাপ-পথগামী হৈছিল, ভাই-মন্ত্ৰী জ্ঞানী বিদুৰৰ সুপৰা-মৰ্শত পাণ্ডুৰ পৰিয়াল সেইদৰে ধৰ্ম্মপথত পৰিচালিত হৈছিল।

পাণ্ডুৰাজে ৰাজ্য এৰি গৈ সপৰিয়ালে আৰু সবান্ধৱে হিমালয়ৰ পদত ভালেমান বছৰ বাস কৰাৰ পাচত, তাতে ঘটনাচক্ৰত তেওঁৰ অকালমৃত্যু ঘটে। তেওঁৰ পৰলোক হোৱাৰ পাচত, সৰুভাৰ্য্যা মাদ্ৰীৰো অকাল-মৃত্যু হয়[৫]।

---

(১) মৎস্যগন্ধাৰ অবিবাহিত কালত পৰাশৰ মুনিৰ ঔৰসত পিতৃ গৃহত যিটি পুত্ৰ জন্ম হয়, তেওঁৱেই এই ব্যাসদেৱ। এই ব্যাসেই সেই অদ্বিতীয় পণ্ডিত মহাজ্ঞানী বেদব্যাস। যমুনাৰ দ্বীপত জন্মলাভ কৰাৰ কাৰণে তেওঁৰ নাম দ্বৈপায়ন হয়, আৰু কৃষ্ণবৰণীয়া হেতুকে তেওঁক কৃষ্ণ-দ্বৈপায়ন বোলা যায়। যুগে যুগে ধৰ্ম্মৰ পাদক্ষয় আৰু মানুহৰ আয়ুস আৰু শক্তি হ্ৰাস হোৱা দেখি, বেদৰ স্থায়িত্ব কামনাৰে কৃষ্ণদ্বৈপায়নে বেদৰ বিভাগ প্ৰণয়ন কৰে, সেই আপাহতে তেওঁৰ আন এটা নাম বেদব্যাস হয়।

—মহাভাৰত, আদিপৰ্ব্ব, আস্তিক পৰ্ব্বাধ্যায়, ৬৩ অধ্যা।

(২) বৈদিক কালত বংশ-ৰক্ষাৰ্থে দেৱৰেকে বৌৱেকত আৰু ৰৰজনাকে বোৱাৰীয়েকত সন্তান উৎপাদন কৰা ৰীতি অনুমোদিত আছিল, বিশেষকৈ ৰাজবংশত। আজি-কালিৰ কোনো কোনো ৰাজবংশত বৌৱেকে দেৱৰত প্ৰৱৰ্ত্তাৰ ৰীতি প্ৰচলিত হৈছে, কিন্তু বোৱাৰীয়েকে ৰৰ-জনাত প্ৰৱৰ্ত্তা ৰীতি অবৈধ বিবেচিত হৈ এৰা পৰিছে। —ঋগ্বেদ, ১০ম, মণ্ডল।

(৩) এই গান্ধাৰেই আজিকালিৰ কান্দাহাৰ।

(৪) ধৃতৰাষ্ট্ৰ জন্মান্ধ, গতিকে তেওঁৰ সাধ্বী ভাৰ্য্যা গান্ধাৰীয়েও চকুত কাপোৰ বান্ধি চিৰজীৱন অন্ধকাৰত দিন নিয়াইছিল।

(৫) আচলতে মাদ্ৰী ৰাণীয়ে সহগমন কৰে। মহী-পতি পাণ্ডু আৰু তেওঁৰ দ্বিতীয়া পত্নী মাদ্ৰীদেৱীৰ অকাল-মৰণ বাস্তৱতে বৰ বিস্ময়জনক আৰু অতি শোচনীয়। হিমালয়াশ্ৰমত বহুকাল পুত্ৰ-পৰিয়ালৰে সৈতে মধুময়কৈ জীৱন যাপন কৰাৰ পাচত, এদিন বসন্ত কালত পাণ্ডুৰাজে

মৰণকালত পাণ্ডুৰাজে পাঁচোটি পুত্ৰ এৰি যায়,—সিবিলাকৰ ভিতৰত কুন্তীৰ গৰ্ভজাত[১] যুধিষ্ঠিৰ, ভীম আৰু অৰ্জ্জুন; আৰু মাদ্ৰীৰ গৰ্ভজাত নকুল আৰু সহদেৱ। কালত মূল কুৰু ফৈদৰপৰা ফাটি যোৱা ঠালৰ ইবিলাক পাণ্ডৱ[২] নামে জনাজাত হয়। কুৰুজঙ্ঘলত বৈ যোৱা ধৃতৰাষ্ট্ৰৰো দুৰ্য্যোধন, দুঃশাসন প্ৰভৃতি গান্ধাৰী ৰাণীৰ গৰ্ভজাত বহু-পুত্ৰ[৩] লাভ হয়; ইবিলাকেই কুৰুবংশৰ প্ৰধানীয়া বংশধৰ বুলি কৌৰৱ নামে অভিহিত হয়; কাৰণ, নিজ ৰাজ্য এৰি যোৱা দিনধৰি কুৰুজঙ্ঘলত পাণ্ডুৰজাৰ কোনো সম্বন্ধ পোৱা নগৈছিল।

যথাকালত নাবালক পঞ্চ-পাণ্ডৱক লৈ কুন্তী ৰাণী নিজ স্বামীৰ ৰাজ্য হস্তিনাপুৰলৈ উলটি আহিল। অহাত, তেওঁৰ

সঙ্কভাৰ্য্যা মাদ্ৰীদেৱীক লগত লৈ অকলে বনবিহাৰ কৰিবলৈ যায়। ভুবনমোহিনী মদ্ৰৰাজ-জীয়াৰীৰ অনুপম কান্তি, তাতে দিব্যাম্বৰ পৰিধান! তেওঁৰ ৰূপৰ জেউতিয়ে সেই বন-বিভাগ উজ্জ্বল কৰি তুলিলে,—তেওঁৰ সেই জগন্মোহিনী ৰূপে বনৰ পশু-পক্ষীকো বিমোহিত কৰিলে। নিজ ভাৰ্য্যাৰ সেই মদনমোহিনী ৰূপত বিমোহিত হৈ কামদেৱ সদৃশ পাণ্ডুৰাজে সঘনে তেওঁক নানা তৰহৰ গছ-লতা আৰু প্ৰফুল্ল বনফুলেৰে পৰিশোভিতা প্ৰকৃতিদেৱীৰে সৈতে ৰিজাই তন্ময়ভাৱে নিৰীক্ষণ কৰিবলৈ ধৰিলে। সেই অনুক্ৰমে চাওঁতে চাওঁতে আপোনপাহৰা হৈ মৃগমণ্ডলীৰ মাজত ৰজাই নিজ পত্নীক আলিঙ্গন কৰি অন্তৰৰ আবেগ ব্যক্ত কৰিলে। ৰাণীৰ বিস্তৰ কাকুতিয়েও ৰজাক নিৰস্ত কৰিব নোৱাৰিলে।—ফলত অবৈধ সঙ্গমৰ পৰিণামত তাতে পাণ্ডুৰাজ পঞ্চত্ব প্ৰাপ্ত হয়। সেই আকস্মিক ঘটনাত ভয়বিহ্বলা হৈ মাদ্ৰী ৰাণীয়ে আতুৰভাৱে চিঞঁৰিবলৈ ধৰিলে। সেই চিঞঁৰ শুনি প্ৰথমা ভাৰ্য্যা কুন্তীদেৱী পঞ্চপাণ্ডৱে সৈতে গৈ উত্ৰাৱল চিতেৰে ঘটনাস্থলত উপস্থিত হলগৈ। তাৰ পাচত, অশেষ অনুতাপ কৰি কুন্তীদেৱী তাতে সহগমনলৈ প্ৰস্তুত হয়। কিন্তু, তেওঁক তালৈ ছেগ নিদি, মাদ্ৰীদেৱীয়ে নাবালক পুত্ৰদ্বয়ক কুন্তী দেৱীত গঁপি দি, ততালিকে স্বামীৰ মৃতদেহা আকোঁৱালি লৈ আগধৰি সহগমন লাভ কৰিলে।—মহাভাৰত, আদিপৰ্ব্ব, সম্ভৱ-পৰ্ব্বাধ্যায়, ১২৫শ আধ্যা।

(১) কুন্তীৰ অকুমাৰী কালত পিতৃগৃহত অন্যতম এটি পুত্ৰ-সন্তান জন্ম হয়। সেই অপযশ ঢাকিবৰ অভিপ্ৰায়ে সন্তানটি এটা চকত ভৰাই ঢাকোন দি নৈত উটুৱাই দিয়া হয়। পিচে, সেই উটি যোৱা সন্তানটি এটা কুমাৰে পাই তুলি নি তেওঁৰ ৰাধা নামে ঘৈণীয়েকক গঁপি দিয়েগৈ। ৰাধা অপুত্ৰকা আছিল; তেওঁ বহু যত্নেৰে ল'ৰাটি তুলিতালি ডাঙৰ-দীঘল কৰিলে। এই ল'ৰাটিয়েই কালত মহাবীৰ কৰ্ণ নামে জনাজাত হয়। এওঁৱেই সেই দাতাকৰ্ণ। এওঁক কুন্তীৰ কানীন পুত্ৰ বোলা যায়।—মনুসংহিতা।

(২) কৌৰৱ ফৈদে 'পঞ্চ-পাণ্ডৱক' কুৰু বংশীয় পাণ্ডুৰ পুত্ৰ বুলি মানিব নোখোজে, সিবিলাকৰ মতে, বহুকালৰ পূৰ্ব্বতে পৰলোক হোৱা পাণ্ডুৰে সিমান কোমলবয়সীয়া সন্তান এৰি যোৱাটো সম্ভৱপৰ নহয়। সম্ভৱতঃ, সেই আপাহতে কুন্তী-মাদ্ৰীৰ গৰ্ভত পঞ্চ-পাণ্ডৱৰ জন্মমূল এইদৰে ঠাৱৰোৱা হৈছে,—যেনে,—ধৰ্ম্ম দেৱতাৰপৰা যুধিষ্ঠিৰ, বায়ু দেৱতাৰপৰা ভীম, ইন্দ্ৰ দেৱতাৰপৰা অৰ্জ্জুন, অশ্বিনী-কুমাৰদ্বয়ৰপৰা নকুল আৰু সহদেৱ। সেই সূত্ৰেৰেই সূৰ্য্য দেৱতাৰপৰা কৰ্ণৰ জন্ম বুলি ধৰা হয়।

(৩) বৈশম্পায়নে জনমেজয়ৰ আগত লেখ দিয়া ধৃতৰাষ্ট্ৰৰ এশ পুত্ৰৰ নামৰ তালিকা:

দুৰ্য্যোধন, যুযুৎসু, দুঃশাসন, দুঃসহ, দুঃশল, দুৰ্মুখ, বিবিংশতি, বিকৰ্ণ, জলসন্ধ, সুলোচন, বিন্দ, অনুবিন্দ, দুৰ্দ্ধৰ্ষ, সুবাহু, দুষ্প্ৰধৰ্ষণ, দুৰ্ম্মৰ্ষণ, দুষ্কৰ্ণ কৰ্ণ, চিত্ৰ, উপচিত্ৰ, চিত্ৰাক্ষ, চাৰুচিত্ৰ, অঙ্গদ, দুৰ্ম্মদ, দুষ্প্ৰহৰ্ষ, বিবিৎসু, বিকট, সম, উৰ্ণনাভ, পদ্মনাভ, নন্দ, উপনন্দ, সেনাপতি, সুসেন, কুণ্ডোদৰ, মহোদৰ, চিত্ৰবাহু, চিত্ৰবৰ্ম্মা, সুবৰ্ম্মা, দুৰ্ব্বিৰোচন, অয়োবাহু, মহাবাহু, চিত্ৰচাপ, সুকুণ্ডল, ভীমবেগ, ভীমবল, বলাকী, ভীমবিক্ৰম, উগ্ৰায়ুধ, ভীমশৰ, কনকায়ুঃ, দৃঢায়ুধ, দৃঢবৰ্ম্মা, দুৰ্দ্ধৰ্ষ (২), দৃঢক্ষত্ৰ, সোমকীৰ্ত্তি, অনূদৰ, জৰাসন্ধ, দৃঢ়সন্ধ, সত্যসঙ্গ, সহস্ৰবাক্, উগ্ৰশ্ৰবা, উগ্ৰসেন, ক্ষেমমূৰ্ত্তি, অপৰাজিত, পণ্ডিতক, বিশালাক্ষ, দুৰাধন, দৃঢহস্ত, সুহস্ত, বাতবেগ, সুবৰ্চ্চাঃ, আদিত্যকেতু, বহ্বাশী, নাগদত্ত, অনুযায়ী, কৱচী, নিষঙ্গী, দণ্ডী, দণ্ডাধাৰ, ধনুৰ্গ্ৰহ, উগ্ৰ, ভীমৰথ, বীৰ, বীৰবাহু, অলোলুপ, অভয়, ৰৌদ্ৰকৰ্ম্মা, ধৃঢৰথ, অনাধৃষ্য, কুণ্ডভেদী, বিৰাবী দীৰ্ঘলোচন, দীৰ্ঘবাহু, ব্যূঢোৰু, কনকাঙ্গদ, কুণ্ডজ, চিত্ৰক, মহাবাহু (২য়) এই এশ পুত্ৰ, আৰু দুঃশলা নামে একেটি কন্যা। সিন্ধুদেশৰ অধিপতি জয়দ্ৰথলৈ দুঃশলাক বিয়া দিয়া হয়। বৈশ্যা নামে ধৃতৰাষ্ট্ৰৰ আৰু এগৰাকী পত্নী আছিল; যুযুৎসু (২য়) তেওঁৰ গৰ্ভজাত পুত্ৰ।—মহাভাৰত, আদিপৰ্ব্ব, সম্ভৱ-পৰ্ব্বাধ্যায়, ৬৭ আধ্যা।

যথা সমাদৰে ৰাজ্যত যথাযোগ্য আহিলা-পাতিৰে সৈতে ঠাই দিয়া হয়, আৰু পঞ্চপাণ্ডৱক পিতামহ ভীষ্মই[1] নিজ নাতি-কোঁৱৰ বুলি আৰু ৰজা ধৃতৰাষ্ট্ৰই সেই ভতিজাক-সকলক নিজৰ পুত্ৰৱত স্নেহ কৰি সাবটি ললে। তাৰ পাচত, পাণ্ডৱসকলক ক্ষত্ৰিয়োচিত শিক্ষাদানেৰে ৰাজ কোঁৱৰৰ সুযোগ্য পাত্ৰ কৰি তুলিবলৈ দদায়েক বিদুৰ আৰু পিতামহ ভীষ্মই সিবিলাকক সেইকালৰ প্ৰধানতম গুৰু দ্ৰোণাচাৰ্য্যৰ ওচৰত ধনুৰ্ব্বিদ্যা শিক্ষাৰ্থে যুগুত ব্যৱস্থা কৰি দিলে। প্ৰতিভাশালী পঞ্চ-পাণ্ডৱে সেই ব্যৱস্থাৰ সহায়ত অতি সোনকালে বিবিধ যুদ্ধবিদ্যাত পাৰদৰ্শিতা লাভ কৰি উঠিলে। বিশেষকৈ, তৃতীয় পাণ্ডৱ অৰ্জ্জুন ধনুৰ্ব্বিদ্যা শিক্ষাত অন্যান্য ৰাজকোঁৱৰ আৰু কৌৰৱসকলক চেৰ পেলাই উঠিলে। তেওঁৰ নামনাচ্ বা সমনীয়া ধনুৰ্বিদ যোদ্ধা ৰল মাথোন এক কৰ্ণ বীৰ। সেইদৰেই মল্লযুদ্ধ-বিদ্যাত দ্বিতীয় পাণ্ডৱ ভীমসেন সবাৰৰে ওপৰত উঠিলে, তেওঁৰ নামনাচ্ গদাবীৰ লেখত উঠিছিল মাথোন ৰজা ধৃতৰাষ্ট্ৰৰ ৰৰপুত্ৰ দুৰ্য্যোধন। সেই সময়ত পাণ্ডৱ প্ৰতিভালৈ লক্ষ্য কৰি বিদুৰ আৰু ভীষ্মই অপাৰ আনন্দ লাভ কৰিছিল; আৰু হস্তিনাপুৰবাসী সৰু-বৰ সকলোৱেই আনন্দিত হৈছিল, মাথোন দুৰ্য্যোধন প্ৰমুখ্যে ধৃতৰাষ্ট্ৰৰ পুত্ৰবৰ্গৰ প্ৰাণত সে সি অসহ্য হৈছিল।

পাণ্ডৱৰ প্ৰতিপত্তি যিমানেই বাঢ়ি উঠিল, সিবিলাকৰ প্ৰতি কৌৰৱৰ হিংসা-দ্বেষ সিমানেই প্ৰবল হবলৈ ধৰিলে, পাণ্ডৱক প্ৰতিপদে অপদস্থ কৰিবলৈ কৌৰৱৰ পণ হল। আন কি, পাণ্ডৱৰ প্ৰাণ লবলৈকো কৌৰৱ-মেলত ষড়যন্ত্ৰ চলিবলৈ ধৰিলে। সেই উদ্দেশে বাৰণাৱত নামে ঠাইত গোপনে শুধ্‌লাৰে সৈতে এটা ঘৰ সজাই থৈ, পঞ্চপাণ্ডৱক সিবিলাকৰ মাতৃ কুন্তীদেৱীৰে সৈতে কিবা উদ্দেশ্য দেখুৱাই সেই ঠাইলৈ পঠোৱা হয়; আৰু আনহাতে পুৰোচন নামে এটা কুচক্ৰী মানুহৰ জৰিয়তে পাণ্ডৱসকলক সেই লা-ঘৰতে এৰাতিলৈ আলহী ৰখাই ৰাতি ঘৰত জুই দি পুৰি মাৰিবলৈ দিহা লগোৱা হয়[2]। যথাসময়ত দুৰ্য্যোধনৰ দিহামতে মাকে সৈতে পঞ্চপাণ্ডৱে বাৰণাৱতলৈ যাত্ৰা কৰিলে। কিন্তু, সিবিলাক গৈ আদবাট পাওঁতেই ইফালে বিদুৰে সেই ষড়যন্ত্ৰৰ সম্ভেদ্ পাই, ততালিকে আৰু অতি গোপনে তাৰ সন্ধান পাণ্ডৱসকলক জানিবলৈ দিলে। বিদুৰৰ উপদেশ মতে সেই লা-ঘৰত সোমাই নিজেই তাত জুই লগাই দি পাণ্ডৱসকল তাতে নিৰুদ্দেশ হল। দৈৱদুৰ্ব্বিপাকত সেই ৰাতি সেই ঘৰত আন কোনোবা ছজন বাটৰুৱাই জিৰণি লৈছিলগৈ, সিবিলাক তাতে পুৰি মৰিল। পাচত, সেই লা-ঘৰৰ ভেঁটিত ছটা মৰা মানুহৰ জঁকা পৰি থকা দেখা পাই কৌৰৱৰ চোৰাংচোৱা পুৰোচনে ভাবিলে যে, সেয়ে পাঁচ-পাণ্ডৱ আৰু সিবিলাকৰ মাক কুন্তীৰ জঁকা। দেখি, পুৰোচনে আনন্দত উৰুলীকৃত হল, আৰু দুৰ্য্যোধনক তেওঁৰ গুপ্ত উদ্দেশ্য সিদ্ধিৰ সংবাদ দি যথাসময়ত তেওঁৰপৰা যথোচিত বঁটা ললেহি[3]। তাৰ পাচত, পঞ্চ-পাণ্ডৱ আৰু হস্তিনাপুৰলৈ উলটি নাহিল; সিবিলাকে ছদ্মবেশেৰে দেশে দেশে ভ্ৰমিবলৈ ধৰিলে। সেই সময়তে, ছেগ বুজি, শ্ৰীকৃষ্ণই বাৰণাৱতলৈ গৈ সেই বিষয়ক স্বৰূপ তথ্য লৈ আহিলগৈ। তাৰ পাচত, কুটুম্বীয়া ভাই-ককাই পঞ্চপাণ্ডৱ আৰু পেহীয়েক কুন্তীদেৱীক চপাই-বুটলি আনি কি উপায়েৰে পুনঃ থান-থিত্ লগাই সিবিলাকৰ জৰিয়তে ধৰ্ম্মৰাজ্য স্থাপন কৰিব, ভগবান বাসুদেৱে তাৰ চিন্তালোচনাত ধৰিলে।

দ্বাদশ আধ্যা

দ্ৰৌপদী-সয়ম্বৰা

মূল কুৰুবংশৰ ফাটি কুৰু আৰু পাঞ্চাল নামে দুটা সুকীয়া ফৈদৰ সৃষ্টি হোৱা সময়ৰপৰা সাত পুৰুষৰ অন্তৰত পাঞ্চাল

(১) পাণ্ডু আৰু ধৃতৰাষ্ট্ৰ ভীষ্মদেৱৰ মাহী-মাক মৎস্য-গন্ধা বা সত্যৱতীৰ গৰ্ভজাত বিচিত্ৰবীৰ্য্যৰ পুত্ৰ। সেই আপাহতে ভীষ্মদেৱ কৌৰৱ আৰু পাণ্ডৱৰ পিতামহ হয়।

(২) মহাভাৰত, আদিপৰ্ব্ব, জতুগৃহ পৰ্ব্বাধ্যায়, ১৪৪ আধ্যা।

(৩) মহাভাৰত, আদিপৰ্ব্ব, জতুগৃহ পৰ্ব্বাধ্যায়, ১৪৮ আধ্যা।

ৰাজ্যত দ্ৰুপদ নামে এজন ৰজা বৰ প্ৰতাপী হৈ উঠে; তেওঁ যেনে প্ৰতাপী আছিল, তেওঁৰ অন্তৰত কুৰু ফৈদৰ প্ৰতি পূৰ্ব্ব-পুৰুষানুক্ৰমিক চলি অহা বৈৰীভাব সেই অনুপাতেৰে প্ৰবল হৈ উঠিছিল। তাৰোপৰি, কোনো কথাত মনোবাদ ঘটি সেই কালৰ সুবিখ্যাত আৰু সৰ্ব্বপ্ৰধান ধনুৰ্ব্বিদ্যা-বিশাৰদ ৰণ-পণ্ডিত দ্ৰোণাচাৰ্য্যই পাঞ্চাল-ৰাজৰ সঙ্গ ত্যাগ কৰি কুৰুফৈদীয়া ৰাজসঙ্গলৈ আহি কুৰুজঙ্গলত থিতাপি হোৱাত, দ্ৰুপদ ৰজাৰ অন্তৰত সেই বৈৰীভাব শঙ্কাযুত হৈ চতুৰ্গুণে চৰিবলৈ ধৰিলে। কিয়নো, দ্ৰোণাচাৰ্য্যৰ বলত বলী হৈ কুৰুফৈদে পাঞ্চালৰ বিষম অপকাৰ কৰিব পাৰে; সেই আশঙ্কাত দ্ৰুপদ ৰজা চিন্তিত হল, আৰু তাক নিলগতে মাৰ নিয়াবলৈ তাৰ প্ৰতিকুল আচৰণ উপায় চিন্তিবলৈ ধৰিলে ১।

দ্ৰুপদ ৰজাৰ মুঠেই তিনিটি সন্তান,—ধৃষ্টদ্যুম্ন আৰু শিখণ্ডী নামে দুজন পুত্ৰ, আৰু দ্ৰৌপদী নামে একেটি কন্যা। দ্ৰৌপদী পৰম ৰূপৱতী আৰু অতি গুণৱতী ৰাজকুমাৰী। বাস্তৱতে, সেই কালত ৰূপে-গুণে তেওঁৰ সমতুল্য জীয়াৰী ভাৰতত দ্বিতীয়া নাছিল। গাভৰুকালত তেওঁৰ সেই অতুলন ৰূপ-গুণৰ জেউতি চতুৰ্গুণে চৰি উঠাত তাৰ যশস্যা চৌপাশে বিয়পি পৰিল। চাৰিও-ফালৰপৰা ৰজা, মহাৰজা আৰু ৰাজকোৱঁৰসকলে দ্ৰৌপদীৰ পাণিগ্ৰহণৰ লালসাত যথাবিধি যথাস্থানলৈ প্ৰস্তাৱ আগ বঢ়াবলৈ ধৰিলে। ইফালে দ্ৰুপদ ৰজাও সেই বিষয়ত উদাসীন হৈ থকা নাছিল। দ্ৰৌপদীৰ বিবাহৰ বিষয়ে ভাবোঁতে-চিন্তোতে তেওঁৰ মনত এইভাব খেলালে যে, তেওঁৰ একেটি মাথোন কন্যাৰত্ন দ্ৰৌপদীৰ পাণিগ্ৰহণৰ সুযোগ্য কোৱঁৰ আৰ্য্যাবৰ্ত্তত মাথোন একেজন বৰ্ত্তমান,—তেওঁ তৃতীয় পাণ্ডৱ অৰ্জ্জুন। ভাগ্যক্ৰমে সেই পাণ্ডুনন্দন কীৰিটি জীৱিত আছে যদি, দ্ৰৌপদীক তেওঁলৈ বিয়া দি পাণ্ডৱৰে সৈতে সম্বন্ধ ঘটাব পাৰিলে তেওঁ কুৰু-শক্ৰৰ বিৰুদ্ধে ফেৰ পাতিবলৈ বিশেষ বল পাব২। এনে ভাবত দ্ৰুপদ ৰজাই মনে-মনে তাৰ উপায় চিন্তিবলৈ ধৰিলে।

সেই চিন্তাৰ ফলত, পাঞ্চালৰাজে যথাসময়ত দ্ৰৌপদীৰ সয়ম্বৰ পাতিবলৈ স্থিৰ কৰিলে। তেওঁৰ গুপ্ত বাসনা ফলৱতী কৰাৰ উদ্দেশ্যে দ্ৰুপদৰাজে এনে এটা পণ পাতিলে, যাক অৰ্জ্জুন কিম্বা অৰ্জ্জুনৰ সমতুল্য ধনুৰ্দ্ধৰত বাজে আনে যাতে পালন কৰিবলৈ সক্ষম নহয়। সেই উদ্দেশে তেওঁ এখন বৰ ডাঙৰ আৰু কোবাল ধেনু যুগুত কৰাই লৈ অদ্ভুত কৌশলেৰে এটা মাছৰ চকৰি আলাসত তৰিবলৈ দিহা লগালে। তাৰ পাচত, তেওঁ এই বুলি পণ-প্ৰস্তাৱ আগ বঢ়ালে, "যেয়ে সেই ধেনু বাওঁহাতেৰে তুলি, আঁঠুৰে ভিৰাই, সোঁ-হাতেৰে তাত জ্যা-যোজনা কৰি লৈ একেপাত শৰেৰে অতি ওখ আলাসত তৰি থোৱা মাছ-চকৰিৰ চকু বিন্ধিব পাৰিব, তেওঁকে দ্ৰৌপদীয়ে স্বামী বৰণ কৰিব।" দ্ৰুপদ ৰজাই সয়ম্বৰৰ এটা শুভ দিন স্থিৰ কৰি সেই পণ চৌপাশে ঘোষণা কৰি দিলে।

যি সময়ত দ্ৰৌপদী-সয়ম্বৰৰ পণ ঘোষণা কৰা হয়, সেই সময়ত পঞ্চ-পাণ্ডৱ নিৰুদ্দেশ—সিবিলাকে ছদ্মবেশেৰে আৰু অন্যৰ অজ্ঞাতসাৰে বনে-বনে, গাওঁৰে-ভূএে-চহৰে ভ্ৰমি পেট-প্ৰৰৰ্ত্তাই ফুৰিছিল। দ্ৰুপদ ৰজাৰ পণ-ঘোষণা সিবিলাকৰ কাণতো পৰিলগৈ। সেই সময়ত পঞ্চপাণ্ডৱ ব্ৰাহ্মণবেশেৰে পাঞ্চালৰ আশে-পাশে ভ্ৰমি ফুৰিছিল। দ্ৰৌপদী-সয়ম্বৰৰ পণ-প্ৰস্তাৱৰ কথা শুনি সিবিলাকৰ প্ৰাণত আচম্বিতে এটা আশা বিৰিঙি উঠিল যে, যদিস্যাৎ দ্ৰুপদ

(১) ভগবান পৰশুৰামে কৃপা কৰি স্বোপাৰ্জ্জিত সমস্ত অস্ত্ৰশস্ত্ৰ আৰু ৰহস্যসমবেত ধনুৰ্ব্বেদ প্ৰদান কৰাত ভৰদ্বাজ-নন্দন দ্বিজসত্তম দ্ৰোণাচাৰ্য্যই পৰম প্ৰীতমনেৰে তেওঁৰ প্ৰিয়সখা দ্ৰুপদ ৰজাক সেই সংবাদ দিবলৈ আহি তেওঁক 'সখা' বুলি সম্বোধন কৰিলে। সেই আচৰণত অসন্তুষ্ট হৈ ঐশ্বৰ্য্যমদমত্ত দ্ৰুপদ ৰজাই তেওঁৰ প্ৰতি ভ্ৰূকুটি প্ৰদৰ্শন কৰিলে। ৰজাৰ সেই অবাঞ্ছিত ব্যৱহাৰত অতিশয় কুপিত হৈ, দ্ৰোণাচাৰ্য্যই অনতিপলমে পাঞ্চাল ৰাজ্য পৰিত্যাগ কৰি হস্তিনাপুৰত থিতাপিত হলহি। সেই আপাহতে তেওঁ কুৰু ফৈদৰে সৈতে বন্ধুতা কৰি সিবিলাকৰ অস্ত্ৰগুৰুৰ বাব গ্ৰহণ কৰিলে। সেই সূত্ৰতে কুৰু আৰু পাঞ্চালৰ মাজত পূৰ্ব্ব-শক্ৰতা ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে।—মহাভাৰত, আদিপৰ্ব্ব সম্ভৱপৰ্ব্বাধ্যায়, ১৩১ আধ্যা।

(২) মহাভাৰত, আদিপৰ্ব্ব, সয়ম্বৰ পৰ্ব্বাধ্যায়, ১৮৫ আধ্যা।

ৰজাৰ পণ পালন কৰি দ্ৰৌপদীক সয়ম্বৰত লাভ কৰিব পৰা যায়, তেন্তে মহাপৰাক্ৰমী পাঞ্চাল-ৰাজৰপৰা সৰ্ব্বপ্ৰকাৰ সাহায্য অযাচিতে লাভ কৰা যাব। আৰু, যদিহে সেই আশা কাৰ্য্যত পৰিণত হয়, তেন্তে যি পিতৃৰাজ্যভোগৰপৰা বঞ্চিত হৈ সিবিলাকৰ দুৰবস্থা ঘটিছে, সেই ৰাজ্য বা ৰাজ্যাংশ অনায়াসে সিবিলাকে পুনঃ লাভ কৰিব পাৰিব। এনে ভাব মনত লৈ, পঞ্চপাণ্ডৱে দ্ৰৌপদী-সয়ম্বৰত উপস্থিত হবলৈ মনস্থ কৰিলে। সেই অনুসৰি, মাতৃ কুন্তীদেৱীক এটা কুমাৰৰ ঘৰত সুচলকৈ থৈ, পঞ্চপাণ্ডৱে বিনানিমন্ত্ৰণে দ্ৰৌপদী-সয়ম্বৰলৈ যাত্ৰা কৰিলে। বাটতে সেই উদ্দেশী ব্ৰাহ্মণ যাত্ৰী এদলৰে সৈতে একেলগ হৈ, সিবিলাকে দক্ষিণ পাঞ্চাল দেশত প্ৰৱেশ কৰিলেগৈ।[১]

যথাসময়ত সয়ম্বৰৰ কাৰ্য্য আৰম্ভ হল। আৰ্য্যাবৰ্ত্তৰ নানা ঠাইৰপৰা শিশুপাল, বাসুদেৱ, ভগদত্ত, এইসকল প্ৰমুখ্যে সৰু-বৰ ৰজা-মহাৰজা, কৌৰৱ-কুমাৰবৰ্গ সবান্ধৱে আৰু সসৈন্যে আহি পাঞ্চালৰাজৰ ৰাজধানী ভৰি পৰিলহি। একাদিক্ৰমে এপৰ কালৰ ভিতৰত আহিব লগীয়া সয়ম্বৰৰ পণ-প্ৰাৰ্থী সকলো আহি সমবেত হলহি;[২] সিবিলাকৰ মাজত শ্ৰীকৃষ্ণও এজন। অগ্ৰজ বলৰাম আৰু ঘাই সেনাপতি সাত্যকিৰে সৈতে সসৈন্যে আৰু সবান্ধৱে আহি সয়ম্বৰৰ যথাস্থানত বাসুদেৱে যাদৱ-কৌৰৱসকলৰে সৈতে শিবিৰ পাতি ৰলহি। কিন্তু, শ্ৰীকৃষ্ণ সয়ম্বৰলৈ আহিছিল বুলিও, দ্ৰৌপদীলাভৰ আশাত অহা নাছিল। অন্যান্য যাদৱ কৌৰৱসকলো সেই আশাৰে দ্ৰৌপদী-সয়ম্বৰলৈ অহা নাছিল। স্বৰূপতে, সিবিলাক দৰ্শকৰূপে চাপিছিলহি; তাৰ ওপৰঞ্চি উদ্দেশ্য শ্ৰীকৃষ্ণৰ মনত কি আছিল কেৱে কব নোৱাৰে।

নিৰ্দ্ধাৰিত দিনা যথাবিধি সয়ম্বৰ-সভা পতা হল। দেশাচাৰ আচৰণ কৰি, দ্ৰুপদ ৰজাৰ বৰপুত্ৰ ধৃষ্টদ্যুম্নই সভাস্থলত উপস্থিত হৈ পণ-প্ৰতিষ্ঠিত ধেনু-শৰ আৰু মৎস্য-চক্ৰলৈ আঙুলিয়াই এই বুলি সমবেত প্ৰাৰ্থীমণ্ডলীৰ আগত পণ-প্ৰস্তাৱ দাঙ্গি ধৰিলে—"হে সয়ম্বৰ-পণ-প্ৰাৰ্থী বীৰসকল! যি সম্ভ্ৰান্ত, সদ্বংশী, সুপুৰুষে নিজ বাহুবলেৰে এই ধেনু বাওঁ হাতে তুলি জানুপাতি ভিৰাই লৈ, সোঁ-হাতে জ্যা-যোজনা কৰি, এই পাঁচপাত শৰৰ এপাতেৰে সোঁ আলাসত ঘূৰি থকা মাছ-চকৰিৰ চকুৰ মণি বিন্ধিব পাৰিব, তেওঁকে মোৰ সহোদৰা দ্ৰৌপদীয়ে স্বামীবৰণ কৰিব।" তাৰ পাচত, নিয়ৰ যেন নিৰ্ম্মল শ্বেত বস্ত্ৰেৰে সমুজ্জিতা কৃষ্ণা-দ্ৰৌপদীয়ে ভুবনমোহিনী ৰূপ ধৰি সোণৰ থালত মনমোহা বৰমালা লৈ ৰাজহংসিনীৰ গতিৰে অগ্ৰজৰ জৰিয়তে আগবাঢ়ি ধীৰে ধীৰে সয়ম্বৰ-সভাত উপস্থিত হলহি। আন্ধাৰ ৰাতিৰ বিজুলীৰ চমকনিৰ দৰে দ্ৰৌপদীৰ প্ৰৱেশ-জ্যোতিয়ে সভামণ্ডলীক চমক্ লগালে! শ্ৰীকৃষ্ণদেৱে নিজৰ অন্তৰতে কৃষ্ণাঙ্গী দ্ৰৌপদীৰ কান্তিৰে সৈতে কৃষ্ণাঙ্গ অৰ্জ্জুনৰ কান্তি মিলাই চাই অনুপম সুখ অনুভৱ কৰিলে।[৩]

পৰম ৰূপৱতী দ্ৰৌপদীৰ পাণিগ্ৰহণ, আৰু তাৰ

---

(১) মহাভাৰত, আদিপৰ্ব্ব, সয়ম্বৰ পৰ্ব্বাধ্যায়, ১৮৫ আধ্যা।

(২) সেই সমবেত ৰজা আৰু ৰাজ-কৌৰৱসকলৰ মাজত কামৰূপৰ ৰজা ভগদত্ত আৰু দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণ আমাৰ চকুত বিশেষকৈ পৰিছে। শ্ৰীকৃষ্ণদেৱৰ পিতৃ বসুদেৱ প্ৰমুখ্যে সঙ্কৰ্ষণ, শাম্ব, চাৰুদেষ্ণ, প্ৰদ্যুম্ন, গদ, অক্ৰুৰ, সাত্যকি, উদ্ধৱ, কৃতবৰ্ম্মা প্ৰভৃতি যাদৱবৰ্গৰ উপস্থিতিয়েও সয়ম্বৰ-সভাৰ শোভা বঢ়াইছিল। সিবিলাকত বাজেও ভাৰতৰ নানা ৰাজ্যৰপৰা প্ৰখ্যাত বীৰ ৰজা, ৰাজকৌৰৱ-সকল দ্ৰৌপদীসয়ম্বৰ-সভাত সমবেত হৈছিলগৈ; সেইসকলৰ ভিতৰত ভীষ্মদেৱ, দুৰ্য্যোধন, দুঃশাসন, বিকৰ্ণ, কৰ্ণ, জৰাসন্ধ, শিশুপাল, জয়দ্ৰথ, বৃহদ্ৰথ, ভগীৰথ, মদ্ৰৰাজ, শল্য, কলিঙ্গৰাজ, বিৰাট, শকুনি, বৃহদ্বল, অশ্বত্থামা, দ্ৰোণাচাৰ্য্য এইসকল বিশেষ।—মহাভাৰত, আদিপৰ্ব্ব, সয়ম্বৰ পৰ্ব্বাধ্যায়, ১৮৬ আধ্যা।

(৩) বলভদ্ৰ প্ৰমুখ্যে বৃষ্ণিবংশীয় যদুশ্ৰেষ্ঠগণে শ্ৰীকৃষ্ণৰ মতাবলম্বী হৈ পাণ্ডৱ সকলক পৰ্য্যবেক্ষণ কৰিবলৈ ধৰিলে। ছায়ে ঢকা পকা-আঙ্গঠাৰ নিচিনা সেই গজেন্দ্ৰাকাৰ পঞ্চপাণ্ডৱক একান্ত মনেৰে নিৰীক্ষণ কৰি শ্ৰীকৃষ্ণদেৱে ভালেমানপৰ সিবিলাকৰ ভবিষ্যত ভাবি আছিল। তাৰ পাচত, বাসুদেৱে যুধিষ্ঠিৰ, ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱক এজন-এজনকৈ বলৰামৰ আগত সঙ্কেতৰ চিনাকি দি অগ্ৰজক সিবিলাকৰ বিষয়ে নীৰৱে বুজাবলৈ ধৰিলে। —মহাভাৰত, আদিপৰ্ব্ব, সয়ম্বৰ পৰ্ব্বাধ্যায়, ১৮৭ আধ্যা।

উপৰন্তু সেই সময়ৰ প্ৰবল প্ৰতাপী পাঞ্চালপতি দ্ৰুপদ ৰজাৰ লগত মিত্ৰতা লাভৰ আশাৰে পিতামহ ভীষ্ম আৰু মহাবীৰ কৰ্ণ সমন্বিতে দুৰ্য্যোধন প্ৰমুখো কুৰু-কোৰঁৰ সকলেও সয়ম্বৰ-সভাত পণ-প্ৰাৰ্থীৰূপে যোগ দিলেহি। আন কি, দ্ৰুপদ ৰজাৰ লগত মনান্তৰ হৈ তেওঁৰ ৰাজ্য ত্যাগ কৰি আহি চিৰশত্ৰু কুৰু ফৈদৰ লগত যোগ দিওঁতা অদ্বিতীয় ধনুৰ্ব্বিদ্যাবিশাৰদ পণ্ডিত দ্ৰোণাচাৰ্য্যও দ্ৰৌপদী সয়ম্বৰ-সভাত উপস্থিত আছিলহি।

উপস্থিত পণপ্ৰাৰ্থীৰ ভালেমানে এজন-এজনকৈ আগ বাঢ়ি গৈ লক্ষ্যভেদ কৰা নিলগতে থাওক, ধেনু ভিৰাই তাত জ্যা-যোজনা কৰিবলৈকে অক্ষম হল। গতিকে, সভামণ্ডলী মাজে মাজে তবধ লাগি ৰব লগাত পৰিল, আৰু কোনো কোনোৱে দ্ৰুপদ ৰজাৰ পণ অযথা আৰু অসম্ভৱ বুলি তেওঁক বিদ্ৰূপ কৰিবলৈ ধৰিলে। ইতিমধ্যত, শ্ৰীকৃষ্ণই উপস্থিত সমস্তালৈ লক্ষ্য ৰাখি, তেওঁৰ তত্বভেদী স্বাভাবিক সূক্ষ্মদৃষ্টিৰে সৈতে সভামণ্ডপৰ কেইওফাল চাই যোগ্যজন নিজৰ মনতে বিচাৰিবলৈ ধৰিলে। তাৰ পাচত ভীষ্ম, দ্ৰোণ প্ৰভৃতি মহা মহা বীৰসকলৰ চেষ্টাও ব্যৰ্থ হোৱাত, কুৰুমণ্ডলৰ মাজৰপৰা মহাবীৰ কৰ্ণ উঠি আহি ততালিকে বাওঁহাতে ধেনু তুলি ললেহি। এনেতে, সয়ম্বৰৰ নায়িকা দ্ৰৌপদীয়ে তেওঁক এই বুলি প্ৰাৰ্থী অগ্ৰাহ্য কৰি অভিমত প্ৰকাশ কৰিলে, "মই সূতপুত্ৰক কদাপি স্বামীবৰণ নকৰোঁ"। এই কথাত কৰ্ণই বিৰক্তিৰ হাঁহি মাৰি ধেনু হাতৰপৰা আকৌ আগৰ ঠাইত থৈ, উলটি নিজৰ আসন ললেগৈ। সেই অনুক্ৰমে এজন এজনকৈ ক্ষত্ৰিয় বীৰগণ বিফল-প্ৰযত্ন হোৱাৰ পাচত, চেদীৰাজ শিশুপালে আগ বাঢ়ি গৈ ধেনুত শৰসন্ধান কৰিবলৈ ধৰোতেই তেওঁ আঁঠু ভাগি পৰি গল। তাৰ পাচত, মহাবীৰ্য্য জৰাসন্ধ উঠিল, কিন্তু তেওঁৰো সেই দশাই ঘটিল। এইবাৰ কিন্তু সকলো হতাশ, দ্ৰুপদ ৰজা চিন্তাত তলমূৰ হল। যাদৱমণ্ডলীও তবধ লাগিল। শ্ৰীকৃষ্ণ কিন্তু হতাশ হোৱা নাই। তেওঁ তেতিয়াও প্ৰফুল্ল। তেওঁ কাণে-কাণে এই বুলি অগ্ৰজ বলৰামৰ কাণ চুৱালে যে, তেতিয়াও যোগ্যজন ওলাব লগীয়া আছে, সয়ম্বৰ-সভামণ্ডলতে পঞ্চ-পাণ্ডৱ ছদ্মবেশে উপস্থিত হৈছে, সিবিলাকৰ ভিতৰৰে তৃতীয় পাণ্ডৱ অৰ্জ্জুন লক্ষ্য বিন্ধিবলৈ অগ্ৰসৰ হব এতিয়া। বলৰামে শুনি বৰ সন্তোষেৰে এই বুলি সমিচাৰ দিলে, "অতি সুসংবাদ; তোমাৰ সূক্ষ্মদৃষ্টিৰে স্বৰূপ দেখিছা যদি আৰু তোমাৰ তীক্ষ্ণ বুদ্ধিৰে তাকে ধৰিছা যদি, তাত মোৰ ধনিষ্ঠামানো সন্দেহ নাই। হওক, সেযে হওক, সঁচাকৈয়ে আমাৰ অভাগিনী পেহীদেও কুন্তীৰ পুত্ৰ কেইজন জীযাই আছে যদি বৰ সন্তোষৰ কথা।"

সদোশেহত, দক্ষিণা-প্ৰত্যাশী উপস্থিত ব্ৰাহ্মণমণ্ডলীৰ মাজৰপৰা এজন লক্ষ্য বিন্ধিবলৈ বুলি উঠিল। তেওঁ উঠামাত্ৰে নিস্তব্ধ সভাত হাঁহিযাতৰ গিৰ্জ্জনি উঠিল, আৰু ব্ৰাহ্মণমণ্ডলীয়ে তেওঁক বাতুল ভাবি ধৰাধৰিকৈ বলেৰে বহুৱাবলৈ চেষ্টা কৰিলে। কিন্তু, তেওঁ সিবিলাকৰ হকা-বধা নগণি আগ বাঢ়ি আহি বাওঁহাতে একেচিপে ধেনু তুলি ললেহি। দেখি সকলোৱে বিস্ময় মানিলে। শ্ৰীকৃষ্ণ কিন্তু অলপো আচৰিত নহল, আনন্দত তেওঁৰ মুখ আগতকৈও হৰ্ষিত হৈ হে উঠিল। বাসুদেৱে সঙ্কেতেৰে অগ্ৰজ বলদেৱক বুজিবলৈ দিলে, "সেইজন আন নহয়, ধনুৰ্ব্বীৰ অৰ্জ্জুন, তেওঁৰ কাষত থিয় হোৱা বৃকোদৰ ব্ৰাহ্মণজন মহাবাহু ভীমসেন, আগত থিয় হোৱা গৌৰবৰণীযা ব্ৰাহ্মণজন ধৰ্ম্মাত্মা যুধিষ্ঠিৰ, আৰু তেওঁৰ দুপাশে থিয় হোৱা ব্ৰাহ্মণ কুমাৰদুজন নকুল আৰু সহদেৱ। শুনিছিলোঁ, আমাৰ পেহীদেও পৃথাদেৱীয়ে পুত্ৰগণৰে সৈতে ভয়াবহ জতুগৃহদাহৰপৰা পৰিত্ৰাণ পাইছে, সেই শুনা-কথা সত্য বুলি মোৰ বিশ্বাস হৈছে।"[১] তাৰ পাচত, পণ-প্ৰাৰ্থী সেই ব্ৰাহ্মণে অনায়াসে ধেনু ভিৰাই তাত জ্যা-যোজনা আৰু শৰসন্ধান কৰি লৈ চকুৰ পচাৰতে লক্ষ্যভেদ কৰিলে। দেখি থাওঁতেই পোনেই সকলো অবাক্। তাৰ পাচত সন্দেহৰ মৰ্ম্মৰণি উঠিল যে, পণমতে ঠিক মৎস্যচক্ৰৰ চকুৰ ছিদ্ৰ ভেদ হোৱা নাই কি জানি? সেই কথাত লক্ষ্যভেদীয়ে হাঁহি

(১) মহাভাৰত, আদিপৰ্ব্ব, সয়ম্বৰ পৰ্ব্বাধ্যায়, ১৮৯ আধ্যা।

হাহি আৰু এপাত শৰ মাৰি চকৰি-মাছৰ মূৰটো ছিঙি আনি সভাৰ আগত পেলাই দি প্ৰত্যক্ষ প্ৰমাণ দেখুৱালে। দেখি, সকলো জ'য় পৰিল। যি পণ লাভ কৰিবলৈ সমবেত ৰজা, বীৰ-ৰাজকোঁৱৰসকল অক্ষম হল, সেই পণ এটা সামান্য মগনীয়া বামুণে লাভ কৰিলে! অতবিলাক বিখ্যাত ৰজা, মহাৰজা, ৰাজ-কোৱঁৰ আৰু কীৰ্ত্তিমান মহাবীৰৰ আগৰপৰা এতিয়া দ্ৰৌপদী হেন পৰম ৰূপৱতী আৰু গুণৱতী ৰাজকন্যাক এটা সামান্য নগণ্য বামুণে লৈ যায়! সিবিলাকৰ মাজত এই বুলি মৰ্ম্মৰধ্বনি উঠিল, "সয়ম্বৰত বামুণৰ অধিকাৰ নাই, কেৱল ক্ষত্ৰিয়ৰ হে সয়ম্বৰ-বিবাহ শাস্ত্ৰসম্মত। এতেকে, সেই কন্যাই যদি আমাৰ মাজৰপৰা বাছি লৈ কোনো-এজনক বৰণ নকৰে, তেন্তে তেওঁক বলেৰে ধৰি আনি জীয়াই-জীয়াই জুইত পেলাই দি আমি নিজ নিজ ৰাজ্যলৈ প্ৰত্যাগমন কৰিমহঁক।"[১] এনেভাবত উন্মত্ত হৈ সভাস্থ ৰজা, মহাৰজা, সেনাপতি আৰু অন্যান্য উপস্থিত বীৰমণ্ডলী গৰ্জ্জি উঠিল। সিবিলাকে বামুণে লাভ কৰা দ্ৰৌপদীক বলেৰে কাঢ়ি আনিবলৈ আগ বাঢ়িলে। বামুণ কিন্তু সহজে বশ্যতা স্বীকাৰ কৰা পুৰুষ নহয়, তেওঁ ফেৰপাতি ধৰিলে। তেওঁৰ সাহায্যাৰ্থে ব্ৰাহ্মণমণ্ডলীৰপৰা এজন বৃকোদৰ বামুণে এজোপা শালগছৰ পুলি উভালি আনি তাকে টাঙোন কৰি লৈ হুলস্থুলৰ মাজত সোমালগৈ।[২] এখন তুমুল মল্লযুদ্ধ লাগি উঠিল।—মহাতেজা কৰ্ণবীৰে অৰ্জ্জুনৰে সৈতে ফেৰ পাতিলেগৈ, গজেন্দ্ৰ যেন মহাবাহু মদ্ৰেশ্বৰ শলাই ভীমসেনক আক্ৰমণ কৰিলেগৈ, দুৰ্য্যোধনাদিয়ে যুধিষ্ঠিৰ আৰু নকুল-সহদেৱ সমন্বিতে ব্ৰাহ্মণমণ্ডলীক বেৰি ধৰিলেগৈ।[৩] এনেতে, শ্ৰীকৃষ্ণদেৱ উঠি আহি মধ্যস্থ হলহি। তেওঁ উন্মত্ত ৰজা আৰু ৰাজকোৱঁৰসকলক এই বুলি ন্যায়-জ্ঞানৰ চেতনা দিলে, "হে লগৰীয়া ভূপতিসকল, ধৰ্ম্মতঃ এই মগনীয়া বামুণেই হে ৰাজকন্যা দ্ৰৌপদীক লাভ কৰিছে; এতেকে, অন্যায় যুদ্ধৰ প্ৰয়োজন নাই। ব্ৰাহ্মণৰে সৈতে যুদ্ধ কৰাও অবৈধ। ব্ৰাহ্মণক, অপৰাধী হলেও, ক্ষত্ৰিয়ই ক্ষমা কৰা উচিত। তথাপি, সিবিলাকে পুনৰ্ব্বাৰ যুঁজলৈ নিজে ফেৰ পাতি আহে যদি, তেতিয়া অৱশ্যে আমিও বংমনেৰে যুদ্ধ দিমহঁক যে সেইটো ঠাৱৰ।" শ্ৰীকৃষ্ণৰ বুদ্ধি, ক্ষমতা আৰু দূৰদৰ্শিতাত সকলোৰে অটল বিশ্বাস। গতিকে, তেওঁৰ উপদেশ মানি, "আজি ৰঙ্গস্থলত বামুণ জয়ী হল, আৰু পাঞ্চালী বামুণৰ দ্বাৰাই বিবাহিতা হল," এই বুলি সকলো বিষাদ মনেৰে স্ব-স্বস্থানলৈ প্ৰস্থান কৰিলে।[৪]

দ্ৰৌপদী-সয়ম্বৰলৈ অহা লোক সকলো ঘৰাঘৰি হল, কিন্তু শ্ৰীকৃষ্ণ পাঞ্চালত দিনচেৰেকৰ নিমিত্তে ৰৈ গল। ইতিমধ্যতে বাসুদেৱে পঞ্চ-পাণ্ডৱক সাক্ষাৎ কৰি, সিবিলাকক সময়োচিত বুদ্ধি-পৰামৰ্শ দানেৰে ৰাজ কোৱঁৰৰ যোগ্য মৰ্যাদাৰে ৰাজকন্যা দ্ৰৌপদীৰে সৈতে কিছুকাল সুচলকৈ চলিব পৰাকৈ যৌতুকত বিবিধ বহুমূলীয়া আৰু লাগতিয়াল বস্তু দানেৰে বিবিধ সাজপাৰ, বিতোপন শয্যা, সৰ্ব্বপ্ৰকাৰৰ গৃহস্থালীৰ সঁজুলি আৰু আহিলাপাতি আৰু বিবিধ বিচক্ষণীয়া মণি-মুকুতা আদিৰে সৈতে টনকিয়ালকৈ থৈ, সিবিলাকৰপৰা বিদায় ললে। বিদায়ৰ সময়ত, যুধিষ্ঠিৰে মুগ্ধচিত্তেৰে শ্ৰীকৃষ্ণত এই বুলি সুধিলে, "হে কোৱঁৰ, ছদ্মবেশেৰে সয়ম্বৰত উপস্থিত থাকোঁতে তুমি নো আমাক কেনেকৈ চিনিলা?" বাসুদেৱে হৰিষৰ হাঁহি এটি মাৰি এই বুলি সমিচাৰ দিলে, "হে ৰাজন! ছাইৰ তলত জ্বলন্ত-অঙঠা সৰহপৰ ঢাক খাই নাথাকে, অলপ দুৰ্য্যোগৰ বতাহ লাগিলেই সি ভমকককৈ জ্বলি উঠি আপুনি চিনাকি দিয়ে।"[৫] কিন্তু, পাণ্ডৱৰ লগত শ্ৰীকৃষ্ণৰ এয়ে পোন্-প্ৰথম সাক্ষাৎ, প্ৰথম চিনাকি আৰু প্ৰথম আলাপন।

---

(১) মহাভাৰত, আদিপৰ্ব্ব, সয়ম্বৰ পৰ্ব্বাধ্যায়, ১৮৯ আধ্যা।

(২) তেওঁ আন নহয়, দ্বিতীয় পাণ্ডৱ বৃকোদৰ ভীমসেন।—মহাভাৰত, আদিপৰ্ব্ব, ১৮৯ আধ্যা।

(৩) মহাভাৰত, আদিপৰ্ব্ব, সয়ম্বৰ পৰ্ব্বাধ্যায়, ১৯০ আধ্যা।

(৪) মহাভাৰত, আদিপৰ্ব্ব, সয়ম্বৰ পৰ্ব্বাধ্যায় ১৯০ আধ্যা।

(৫) মহাভাৰত, আদিপৰ্ব্ব, সয়ম্বৰ পৰ্ব্বাধ্যায়, ১৯১ আধ্যা।

ইফালে পুত্ৰবৎসলা পৃথাদেৱীয়ে ৰাতিলৈকে পুত্ৰগণ ভিক্ষাৰপৰা উলটি নহাৰ বাবে চিন্তাত ক্ষণ গণিব লাগিছে! এনেতে, ৰাতি দুপৰমানত, ভীমাৰ্জ্জুনে আহি প্ৰবাসী বহাৰ দুৱাৰমুখত থিয় দি, এই বুলি উলাহিত চিত্তেৰে মাত লগালেহি, "হে মাতৃ! আজিৰ ভিক্ষাত এটি অতি ৰমণীয় সম্পদ পাই আনিছোঁহক।" পুত্ৰগণ উলটি আহি বহাত সোমাইছেহি বুলি জানি, ভিতৰৰপৰা কুন্তীদেৱীয়ে উলাহিত হৈ, এই বুলি সমিধান দিলে, "বাৰু, বোপাহঁত, যি সম্পদ লাভ কৰি আনিছা, তাক পাঁচোওটি ককাই-ভায়ে সমানে ভগাই ভোগ কৰিবাঁ, এতিয়া ভিতৰলৈ সোমাই আহাঁহক।" এই বুলি দুৱাৰ মেলি দি, কুন্তী দেৱীয়ে দেখি বিস্ময় মানিলে যে, ভিক্ষালাভৰ বস্তুটি আন একো নহয়, এটি পৰম ৰূপৱতী ৰাজকন্যা! তাৰ পাচত, তেওঁ সেই নেদেখাকৈ দিয়া আদেশ-সমিধানৰ বাবে বিস্তৰ অনুতাপ প্ৰকাশ কৰি, সেই অবিচাৰজনিত পাপৰপৰা মুক্ত হোৱাৰ উপায় চিন্তিবলৈ বৰপুত্ৰ ধৰ্ম্ম-যুধিষ্ঠিৰক সকাতৰে অনুৰোধ কৰিলে। যুধিষ্ঠিৰে ভাবি-চিন্তি চাই অৰ্জ্জুনক এইভাৱে অনুমতি দিলে যে, তেওঁ লাভ কৰি অনা দ্ৰৌপদী দেৱীৰ তেওঁৱেই পাণি-গ্ৰহণ কৰোক। কিন্তু, মাতৃ-আজ্ঞা লঙ্ঘন কৰিবলৈ অৰ্জ্জুন মান্তি নহল। গতিকে, বিষম সমস্যা উপস্থিত হল।[১]

ইতিমধ্যত, শ্ৰীকৃষ্ণদেৱে পাণ্ডৱসকলক অৰ্থ-বিভূতিৰ সাহায্যেৰে ৰাজকোৱঁৰৰ যোগ্যাৱস্থাত টনকিয়াল কৰি থৈ স্বস্থানলৈ প্ৰস্থান কৰিলে। তাৰোপৰি, দ্বাৰকাৰপৰা তেওঁ পাণ্ডৱৰ সাহায্যাৰ্থে ভালেমান লিগিৰা-লিগিৰী, হাতী-ঘোঁৰা, ৰথ-ৰথী আৰু কোটি-কোটি সোণৰূপৰ বহুমূলীয়া অলঙ্কাৰ-পাতি, সাজপাৰ আদি পঠিয়ালেগৈ। শ্ৰীকৃষ্ণৰপৰা অযাচিতে পোৱা সেই অৰ্থ-বিভূতিৰ বলেৰেই মাতৃ কুন্তীদেৱী আৰু পত্নী দ্ৰৌপদীৰে সৈতে পাণ্ডৱসকল ভালেমান দিন-লৈকে ৰাজযোগ্য অৱস্থাত সুখে-সম্পদে টিকিব পৰা হল।

সয়ম্বৰ-সভা ভঙ্গৰ পাচত, যেতিয়া পঞ্চপাণ্ডৱে দ্ৰৌপদী দেৱীক মাজত লৈ, ভাৰ্গৱৰ গৃহত থিত লোৱা সিবিলাকৰ বহা-ঘৰলৈ উলটি যায়, তেতিয়া দ্ৰুপদনন্দন ধৃষ্টদ্যুম্নও অলক্ষিতভাৱে সিবিলাকৰ পিচে পিচে গৈছিল। পাণ্ডৱৰ প্ৰবাসী বহাত মাতৃৰ অতৰ্কিত আদেশানুসাৰে পুত্ৰগণৰ মাজত কৃষ্ণা-দ্ৰৌপদীৰ দাম্পত্য গ্ৰহণৰ অপূৰ্ব্ব বিধানৰ বিষয়ে তেওঁ জানি আহি সেই কথা অতি বিষণ্ণভাৱে পিতৃ দ্ৰুপদ ৰজাক জনালেহি। শুনি পাঞ্চালৰাজ অবাক্। এক কন্যাৰ পঞ্চপতি গ্ৰহণ! তেওঁ অপাৰ সমস্যাত পৰি বিমোৰ হৈ আছে, এনেতে মহৰ্ষি কৃষ্ণদ্বৈপায়ন বেদব্যাস আহি উপস্থিত। দ্ৰুপদ ৰজাই আথে-বেথে আদৰি আনি ব্যাসদেৱক যথাবিধি পাদ্য-অৰ্ঘ্য প্ৰদানেৰে সেৱা-সৎকাৰ কৰি উঠি, কুশল-মঙ্গল জ্ঞাপন কৰাৰ ছেগতে উপস্থিত সমস্যাৰ বিষয়েও সকলো কথা ভাঙ্গি নিবেদন কৰিলে। ব্যাসদেৱ কিন্তু অলপো আচৰিত নহল; তেওঁ একে-আষাৰে এই বুলি বেদবাক্য ব্যক্ত কৰিলে, "বহু ব্যক্তিৰ একপত্নীতা শাস্ত্ৰমতে ধৰ্ম্মবিৰুদ্ধ নহয়।" সেই বিধান দি উঠি, মহৰ্ষি বেদব্যাসে তাৰ সপক্ষে একাধিক পটন্তৰৰ[২] ব্যাখ্যা কৰিবলৈ ধৰিলে।

সদোশেহত, বেদসংগ্ৰাহক মহৰ্ষি বেদব্যাসৰ বিধানমতে, মাতৃৰ অনুজ্ঞা পালন কৰি, দ্ৰৌপদীক পঞ্চপাণ্ডৱে যথাবিধি বিয়া কৰালে। সেই শুভকাৰ্য্য সমাপ্তিৰ পাচত, দ্ৰুপদ ৰজাই জোঁৱায়েক পঞ্চপাণ্ডৱক নিজৰ ৰাজ্যতে ৰাজযোগ্য সম্মানেৰে বাস কৰিবলৈ যুগুত দিহা লগাই দিলে। পাণ্ডৱসকলেও বিগত বিপত্তিৰ বিষয়ে ক্ষন্তেকলৈ পাহৰি, সেই অলোকসামান্য স্ত্ৰীৰত্ন সমন্বিতে মহাশান্তিৰে সৈতে দিন নিয়াবলৈ ধৰিলে।[৩] সেই বিবাহৰ সম্বন্ধত দুটা মহৎ উদ্দেশ্য সাধনলৈ সুগম বাট মুকলি হল,—এটাত পূৰ্ব্ব-

(১) মহাভাৰত, আদিপৰ্ব্ব, সয়ম্বৰপৰ্ব্বাধ্যায়, ১৯২ আধ্যা।

(২) (ক) জটিলা নামে ধৰ্ম্মপৰায়ণা গৌতমবংশীয়া এগৰাকী কন্যা সাতজন ঋষিৰ দ্বাৰাই বিবাহিতা হৈছিল।

(খ) বাৰ্ক্ষী নামে মুনিকন্যা প্ৰচেতা নামক দহ-জন ভাই-ককাইৰ সহধৰ্ম্মিণী হৈছিল।

—মহাভাৰত, আদি-পৰ্ব্ব, বৈবাহিকপৰ্ব্বাধ্যায়, ১৯৭ আধ্যা।

(৩) মহাভাৰত আদিপৰ্ব্ব, বৈবাহিকপৰ্ব্বাধ্যায়, ১৯৮ আধ্যা।

পুৰুষানুক্ৰমিক চলি অহা শত্ৰুপক্ষ কুৰুফৈদক তল পেলাবলৈ পাঞ্চাল-ৰাজে বিশেষ বল পালে; আনটোত পিতৃৰাজ্য পুনঃ লাভ কৰিবলৈ পাণ্ডৱসকলে আশাতীত সুবিধা লাভ কৰিলে।

ত্ৰয়োদশ আধ্যা
ইন্দ্ৰপ্ৰস্থ

দ্ৰৌপদী-সয়ম্বৰৰ পাচত, কুৰু-কৌৰৱসকলে জানিব পাৰিলে যে, পঞ্চপাণ্ডৱ তেতিয়ালৈকে জীবিত। বাৰণাৱতৰ ষড়যন্ত্ৰ ব্যৰ্থ হল বুলি জানি, পাপাশয় দুৰ্য্যোধনৰ প্ৰাণত বিষম অনুতাপ হল। অকল অনুতাপেই নহয়, তাৰ লগে লগে নানা আশঙ্কাত তেওঁৰ মন-প্ৰাণ অস্থিৰ হবলৈ ধৰিলে। গতিকে, পুনঃ পাণ্ডৱবধৰ আন উপায় ৰচনা কৰাত তেওঁ ব্যস্ত হল। তেওঁৰ লগতে তেওঁক পাপবুদ্ধি উপযাচি দিওঁতা মোমায়েক শকুনি আৰু ভায়েক দুঃশাসন প্ৰভৃতিৰো অন্তৰৰ পোৰণি বাঢ়িবলৈ ধৰিলে। গতিকে, সিবিলাকৰ কুপৰামৰ্শ অনুযায়ী দুৰ্য্যোধনে পুনৰপি গুপ্তভাৱে পাণ্ডৱনাশৰ বিবিধ উপায় অৱলম্বন কৰিলে। দুৰ্য্যোধনৰ অন্যতম ভায়েক ন্যায়বান বিকৰ্ণ মাথোন ককায়েকৰ সেই অসৎ অভিসন্ধিৰ বাজ হৈ ৰৈছিল।

কিন্তু, বুঢ়াৰজা ধৃতৰাষ্ট্ৰৰ মনত আন ধৰণৰ ভাব হে খেলালে। তেওঁ ভাবিলে যে, পাঞ্চাল-ৰাজৰ লগত পাণ্ডৱৰ বৈবাহিক সম্বন্ধ ঘটাৰপৰা কুৰুকুলৰ বিষম অনিষ্ট হোৱাৰ সম্ভাৱনা হে বাঢ়িল। কিয়নো, একেইতো কুৰু-পাঞ্চালৰ ভিতৰত বিদ্বেষভাব পুৰুষানুক্ৰমিক চলি আহিছেই, তাৰোপৰি অলপ দিনৰ আগতে মাথোন কুৰু-ৰাজে পাঞ্চাল-ৰাজৰ লগত ৰণ দি দ্ৰুপদ ৰজাক পৰাস্ত কৰি তেওঁৰ ৰাজ্যৰ একাংশ কুৰুৰাজ্যত চামিল কৰি লৈছে; তাতে আকৌ এতিয়া কৌৰৱৰ আন এটা প্ৰতিদ্বন্দ্বী পঞ্চপাণ্ডৱ বৈবাহিক সূত্ৰৰ বান্ধেৰে পাঞ্চালৰাজৰে সৈতে যোগ হৈছে। এতেকে, সেই সম্মিলিত শক্তিয়ে অচিৰে কৌৰৱক ধ্বংস কৰাৰ আগন্তুক দেখা যায়। ইয়াকে ভাবি, ৰজা ধৃতৰাষ্ট্ৰই মনে-মনে এই স্থিৰ কৰিলে যে, যি কোনো উপায়েৰে হওক, পাণ্ডৱক পাঞ্চাল এৰুৱাই পুনৰপি হস্তিনাপুৰলৈ অনাৰ উপায় বিধান কৰা বিধেয়। ইয়াকে মনস্থ কৰি, তেওঁ নিজৰ পাত্ৰ-মন্ত্ৰীসকলৰ লগত, বিশেষকৈ মহাজ্ঞানী ৰাজনীতিবিশাৰদ মহাত্মা ভীষ্মদেৱ, ধনুৰ্ব্বিদ্যাবিশাৰদ পণ্ডিত-ঋষি দ্ৰোণাচাৰ্য্য, মহাৰথী কৰ্ণবীৰ, সুধীৰ ভ্ৰাতৃ ধৰ্ম্মাত্মা বিদুৰ, যুৱৰাজ বৰপুত্ৰ দুৰ্য্যোধন, এইসকলৰে সৈতে এজন-এজনকৈ এই বিষয়ে ভিতৰুৱাকৈ আলচ কৰিবলৈ ধৰিলে।[১]

পোন্-প্ৰথমে দুৰ্য্যোধনৰ মতামত লোৱা হয়। দুৰ্য্যোধনে পিতৃৰাজৰ প্ৰস্তাৱ শুনি অগ্নিৱত জ্বলি উঠি এই বুলি বিৰক্তি প্ৰকাশ কৰিলে, "হে পিতা, আপুনি যেনে কৰা উচিত, তেনে কৰিবলৈ ধৰা নাই। আপুনি পাণ্ডৱক দুৰ্ব্বল কৰিবলৈ হে চাব লাগে, সিবিলাকক বুকুলৈ চপাই আনি সবল কৰিবলৈ চোৱা যুগুত নহয়। তাৰ উপায় মই দিওঁ যে, আমি সুচতুৰ বামুণ কুটু-কটকী লগাই পাণ্ডৱৰ মাজত আত্মকন্দল ঘটাই দি ভাই-ভাই ঠাই-ঠাই কৰোঁহক; অন্ততঃ কুন্তী আৰু মাদ্ৰীৰ পুতেকহঁতৰ ভিতৰত এই বিচ্ছেদ ঘটোৱা অসম্ভৱ নহব। তদুপৰি, আমি বিপুল অৰ্থ-ঐশ্বৰ্য্য ভেটি দি, দ্ৰুপদৰাজ আৰু তেওঁৰ পুত্ৰদ্বয়ক হাত কৰি লৈ, পাণ্ডৱৰ প্ৰতি সিবিলাকৰ সহানুভূতি নোহোৱা কৰিব পাৰোঁহক। ইত্যাদি অনেক সদুপায় থকাৰ স্থলত আপুনি দুৰ্ব্বল ভাব অনা বাবে মই মৰ্ম্মান্তিক বেজাৰ পাইছোঁ।"

দুৰ্য্যোধনৰ যুক্তি-পৰামৰ্শৰ বিষয়ে ধৃতৰাষ্ট্ৰ ৰজাই তেওঁৰ সেনাপতি মহাৰথ কৰ্ণৰে সৈতে আলচ পাতি চালে। কৰ্ণবীৰে ৰজাৰ প্ৰস্তাৱ সমৰ্থন নকৰি এই বুলি দুৰ্য্যোধনলৈ চাই সমিচাৰ দিলে, "হেৰা দুৰ্য্যোধন, তোমাৰ যুক্তি-যুক্তিও মোৰ মনেৰে ঠিক হোৱা নাই। পাণ্ডৱৰ বিৰুদ্ধে তোমাৰ আন কোনো কৌশলেই সিদ্ধি হোৱা সম্ভাৱনা নাই। ইয়াৰ

(১) মহাভাৰত, আদিপৰ্ব্ব, বিদুৰাগমনপৰ্ব্বাধ্যায়, ২০০—২০ আধ্যা।

আগেয়ে তুমি এই অৰ্থে ভালেমান অসাৰ কৌশল আৰু ষড়যন্ত্ৰ খটাইছিলা, কিন্তু এটাতো তুমি কৃতকাৰ্য্য হব নোৱাৰিলা। এতেকে, মোৰ বুদ্ধি লোৱা যদি পাণ্ডৱক তত্তালিকে আক্ৰমণ কৰিব লাগে। আৰু, একেবাৰে নিস্তেজ হৈ নপৰালৈকে এৰিব নালাগে।"[১]

তাৰ পাচত, কুৰুৰাজ ধৃতৰাষ্ট্ৰই সৰ্ব্বশাস্ত্ৰবিশাৰদ মহাজ্ঞানী ৰৰপিতাক ভীষ্মদেৱৰ ওচৰত উপদেশ প্ৰাৰ্থনা কৰিলে। অতি দকৈ ভাবি-চিন্তি চাই ধৰ্ম্মাত্মা ভীষ্মদেৱে এই বুলি তেওঁৰ জ্ঞানগৰ্ভ উপদেশ দিলে[২], "হে ধৃতৰাষ্ট্ৰ, পাণ্ডুৰ পুত্ৰগণৰ লগত কন্দল পাতিবলৈ তোমাক মই কদাপি পৰামৰ্শ নিদিওঁ। কিয়নো, মোৰ মানত তুমি যেনে, পাণ্ডুও তেনে আছিল। গান্ধাৰীৰ পুত্ৰগণ মোৰ যেনে স্নেহৰ পাত্ৰ, কুন্তী আৰু মাদ্ৰী-পুত্ৰগণো মোৰ তেনে মৰমৰ পাত্ৰ। মোৰ মনেৰে, হে ধৃতৰাষ্ট্ৰ, তুমি পাণ্ডুৰ সেই বীৰপুত্ৰগণৰে সৈতে সোনকালে সন্ধি স্থাপন কৰা, তোমাৰ ৰাজ্যৰ অৰ্ধাংশ সিবিলাকক ভাগত মাৰি দি ধৰ্ম্মতঃ শান্তিলাভ কৰা। কিয়নো, এই কুৰুজঙ্গল ৰাজ্য, এই ৰাজ্য হস্তিনাপুৰ তুমি যি সূত্ৰে পৈতৃক সম্পত্তি বুলি ভাবিছা, পাণ্ডৱসকলৰো সেইদৰে ভাবিবৰ অধিকাৰ আছে।"

ভীষ্মৰ বক্তব্য শেষ হলত, কুৰুগুৰু জ্ঞানী ঋষি দ্ৰোণাচাৰ্য্যই এইবুলি মাত লগালে, "হে ৰাজন্! বন্ধুক বন্ধুৰ বুদ্ধি-পৰামৰ্শ দিবলৈ হলে, যি ন্যায্য আৰু প্ৰশংসনীয়, তাকেহে কোৱা উচিত। এতেকে, ন্যায়শাস্ত্ৰজ্ঞ জ্ঞানী ভীষ্মদেৱৰ মতেই মোৰো মত বুলি জানিব। কুন্তীৰ পুত্ৰগণে পিতৃ-ৰাজ্যৰ ভাগ অৱশ্যে পাব লাগে!"[৩]

সদৌশেহত, ন্যায়পৰায়ণ ধৰ্ম্মাত্মা বিদুৰৰ অভিমত সোধা হয়। তেওঁ লাহে-ধীৰে এই বুলি সমিধান দিলে, "হে অগ্ৰজ ৰজাদেৱ! আপোনাৰ জ্ঞানী বন্ধুৱে আপোনাক সজ আৰু সাধু উপদেশ দিছেই, আপুনি তাকে গ্ৰহণ কৰিলেই হয়। আপুনি অৱশ্যে স্বীকাৰ কৰিব লাগিব যে, অগ্ৰজ পাণ্ডুৱে স্বইচ্ছাৰে ৰাজ্য এৰি যোৱাত হে আপুনি ৰাজপাট খাবলৈ পাইছে; গতিকে, এই ৰাজ্যত কৌৰৱতকৈ পাণ্ডৱৰ হক ধৰ্ম্মতঃ অধিক, মোৰ এই বিশ্বাস। ইয়াৰ আগেয়ে পুৰোচনৰ জৰিয়তে বাৰণাৱতত পাণ্ডৱবধৰ যি ষড়যন্ত্ৰ কৰা হৈছিল, তাৰ পাপ খণ্ডাবলৈ হলে, পাণ্ডুৰ পুত্ৰগণৰ প্ৰতি এতিয়া দুৰ্য্যোধনে পাৰ্য্যমানে সাধু ব্যৱহাৰ কৰা উচিত। আৰু এটা কথালৈ মন কৰিবলগীয়া যে, অলপ দিনৰ আগতে মাথোন আমি মহাপ্ৰতাপী দ্ৰুপদৰজাৰ লগত ৰণ কৰি আমাৰ প্ৰতি তেওঁৰ বিদ্বেষানল জ্বলাই থৈছো; এতিয়া পাণ্ডৱক পুনঃ আবৰি লব পাৰিলে সেই জ্বলন্ত বিদ্বেষানলো নুমুৱাব পৰা যাব। তদুপৰি, যাদৱসকল সততে পাণ্ডৱৰ সহায় আছেই। আৰু, এই কথা মনত ৰাখিব, য'তে কৃষ্ণ ত'তে ধৰ্ম্ম, য'তে ধৰ্ম্ম ত'তে জয়ঃ।' সেই ধৰ্ম্মবীৰ বৃষ্ণিকোঁৱৰ মতিমান শ্ৰীকৃষ্ণ যে পাণ্ডৱৰ পৰম বন্ধু, সেই বিষয়ে কাৰ্য্যতঃ প্ৰমাণ পোৱা গৈছে। আনহাতে, পৃথাৰ পুত্ৰগণ জীৱিত থকাৰ সংবাদত আপোনাৰ নিজ প্ৰজাবৰ্গৰ প্ৰাণত আনন্দৰ পাৰ নোহোৱা হৈছে; সদৌ হস্তিনাপুৰবাসী আজি পাণ্ডুৰ বিধবা পত্নী আৰু তেওঁৰ মাউৰা পুত্ৰ পঞ্চপাণ্ডৱক ঘূৰাই পাবলৈ উত্ৰাৱল। এনেস্থলত আপুনি যেনে উচিত বিবেচনা কৰে, তাকে কৰক।"[৪]

বিদুৰৰ সজ, সত্য আৰু ন্যায্য কথাই ধৃতৰাষ্ট্ৰ ৰজাক টলাবলৈ ধৰিলে। তাৰ পাচত তেওঁ স্থিৰ, গম্ভীৰ আৰু হৃদয়গ্ৰাহীভাৱে বিদুৰক এইবুলি আদেশ দিলে, "হে বিদুৰ, পিতৃব্য মহাজ্ঞানী ভীষ্মদেৱ, প্ৰখ্যাত পণ্ডিতঋষি দ্ৰোণাচাৰ্য্য আৰু তোমাৰ জ্ঞানগৰ্ভ পৰামৰ্শ মই সাদৰে গ্ৰহণ কৰিছো। সঁচা, কুন্তী আৰু মাদ্ৰীৰ নন্দনগণ যি স্থলত মোৰ ভাই পাণ্ডুৰ নন্দন, সিবিলাকক মোৰো নন্দন বুলি ধৰিব লাগে। এই ৰাজ্যত মোৰ পুত্ৰগণৰ যি অধিকাৰ, পাণ্ডুৰ পুত্ৰগণৰো সেই অধিকাৰ। এতেকে, বিদুৰ, যোৱা, পাঞ্চাললৈ গৈ পাণ্ডৱগণক সিবিলাকৰ মাতৃ কুন্তী দেৱী আৰু নৱবিবাহিতা

---

(১) মহাভাৰত, আদিপৰ্ব্ব, বিদুৰাগমন পৰ্ব্বাধ্যায়, ২০২ আধ্যা।

(২) মহাভাৰত, আদিপৰ্ব্ব, বিদুৰাগমন পৰ্ব্বাধ্যায়, ২০৩ আধ্যা।

(৩) মহাভাৰত, আদিপৰ্ব্ব, বিদুৰাগমন পৰ্ব্বাধ্যায়, ২০৪ আধ্যা।

(৪) মহাভাৰত, আদিপৰ্ব্ব, বিদুৰাগমন পৰ্ব্বাধ্যায়, ২০৫ আধ্যা।

ভাৰ্য্যা পাঞ্চাল-ৰাজকুমাৰী মোৰ ভতিজা-বোৱাৰী দ্ৰৌপদীৰে সৈতে অতি সমাদৰে লৈ আহাঁগৈ।”[১]

ৰজা ধৃতৰাষ্ট্ৰৰ আজ্ঞা শিৰোধাৰ্য্য কৰি যথাসময়ত বিদুৰ গৈ পাঞ্চালৰাজ দ্ৰুপদ ৰজাৰ ৰাজভৱনত উপস্থিত হলগৈ। যাওঁতে তেওঁ অনেক বহুমূলীয়া ৰত্ন-উপহাৰ লগত লৈ গৈছিল। সেই উপহাৰ তেওঁ কুন্তী, দ্ৰৌপদী, পাণ্ডৱ, দ্ৰুপদ আৰু তেওঁৰ পুত্ৰদ্বয়ক যথাযোগ্যৰূপে ভেঁটিলেগৈ। তাৰ পাচত, তেওঁ জয়জয়তে দ্ৰুপদ ৰজাৰ আগত ধৃতৰাষ্ট্ৰ ৰজাৰ আদৰ-সম্মান জ্ঞাপন কৰি, পাণ্ডৱক হস্তিনাপুৰলৈ ঘূৰাই নিয়াৰ বিষয়ে তেওঁৰ অনুজ্ঞা প্ৰাৰ্থনা কৰিলে। নৱ-বিবাহিতা পাণ্ডৱপত্নী দ্ৰুপদনন্দিনী দ্ৰৌপদীদেৱীক আদৰিবৰ অৰ্থে ৰজা ধৃতৰাষ্ট্ৰ প্ৰমুখ্যে সদৌ হস্তিনাপুৰবাসীয়ে যে আগ্ৰহ কৰি আছে, সেই বিষয়ে হৃদয়ত লাগি যোৱাকৈ জ্ঞাপন কৰা হল। পূৰ্ব্বৰ একে জাঁতিগুৰিৰ কৈদ কুৰু আৰু পাঞ্চালৰ পুনৰ্ম্মিলনলৈ যে ইয়াৰ দ্বাৰাই এটা সুগম বাট মুকলি হল, সেই বিষয়েও দ্ৰুপদৰাজে বিদুৰৰ মুখে পৰিপাটিকৈ শুনিলে।

বিদুৰৰ হৃদয়গ্ৰাহী ওলগনিস্বৰূপ বাক্য শুনি দ্ৰুপদৰাজে গদ্‌গদ্ চিত্তেৰে এই বুলি সমিধান দিলে, “হে বিদুৰ! সচাঁকৈয়ে কুৰু-পাঞ্চালৰ ভাবী পুনৰ্ম্মিলনৰ সংবাদত মই পৰম প্ৰীতি লাভ কৰিছোঁ। মোৰ বোধেৰেও পাণ্ডুৰাজৰ পুত্ৰ পঞ্চপাণ্ডৱ পিতৃৰাজ্য হস্তিনাপুৰলৈ প্ৰত্যাগমন কৰা নিতান্ত বাঞ্ছনীয়। কিন্তু, সিবিলাকক মই পাঞ্চাল এৰি যাবলৈ কোৱাটো টান পাওঁ। যুধিষ্ঠিৰ, ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱ ইবিলাকে যদি স্বইচ্ছাৰে যাবলৈ ওলায়, সিবিলাকৰ পৰম বন্ধু ধৰ্ম্মশাস্ত্ৰজ্ঞ ধৰ্ম্মাত্মা শ্ৰীকৃষ্ণদেৱে যদি অনুমোদন কৰে, তেন্তে মোৰ কন্যা দ্ৰৌপদীক লৈ পাণ্ডৱসকল পিতৃ-ৰাজ্যলৈ প্ৰত্যাগমন কৰাত মোৰ আনন্দত বাজে বেজাৰ নাই।”

দ্ৰুপদ ৰজাৰ এই জ্ঞানগৰ্ভ সমিধান শুনি ধৰ্ম্মাত্মা যুধিষ্ঠিৰে সভক্তিৰে শহুৰেকত এই বুলি পঞ্চপাণ্ডৱৰ অভিমত জনালে, “হে পিতৃপ্ৰতিম ৰজাদেৱ! আমি সততে আপোনাৰ অনুজ্ঞাৰ তল; আপুনি যি আজ্ঞা দিব আমি তাকে কৰিম।”

সেই সময়ত শ্ৰীকৃষ্ণও উপস্থিত আছিল। দ্ৰুপদ ৰজাই পৰামৰ্শৰ প্ৰত্যাশাৰে তেওঁৰ ফালে চোৱাত, বাসুদেৱে এই বুলি সমিচাৰ দিলে, “মোৰ বোধেৰেও পঞ্চ-পাণ্ডৱ পিতৃ-ৰাজ্য হস্তিনাপুৰলৈ উলটি যোৱাটো বিধেয়। কিন্তু, সৰ্ব্ব-সিদ্ধান্তৰ মূলত দ্ৰুপদৰাজ হে। ধৰ্ম্ম-নীতিত তেওঁ অগ্ৰগণ্য পণ্ডিত।”

সদৌশেহত, দ্ৰুপদ ৰজাই এই বুলি সিদ্ধান্ত দিলে, “মই মানৱ প্ৰধান[২] যাদৱ কৌৰৱ শ্ৰীকৃষ্ণদেৱৰ সদুপদেশ সাৱোগতকৈ লৈ সৰল চিত্তেৰে কৈছোঁ যে, পাণ্ডৱসকল সপত্নীক পিতৃৰাজ্যলৈ প্ৰত্যাগত হোৱাটো একান্ত কাঙ্খনীয়।”

দ্ৰুপদৰাজৰ সেই সিদ্ধান্ত শুনি, শ্ৰীকৃষ্ণ আৰু বিদুৰে হৰষিত অন্তৰেৰে তেওঁৰ অশেষ শলাগ ললে। তাৰ পাচত, যথাসময়ত কুন্তী, দৌপদী আৰু শ্ৰীকৃষ্ণপ্ৰদত্ত অনুচৰ-বৰ্গ আৰু আহিলা-পাতিৰ লগত পাঞ্চালপতি দ্ৰুপদৰাজৰ বিপুল যৌতুক-সম্পত্তিৰে সৈতে পঞ্চ-পাণ্ডৱক লৈ ধৰ্ম্মাত্মা বিদুৰে হস্তিনাপুৰলৈ ওলটা-যাত্ৰা কৰিলে।[৩]

পঞ্চ-পাণ্ডৱ সপৰিয়ালে আৰু সবান্ধৱে আহি হস্তিনাপুৰ সোমালত, ধৃতৰাষ্ট্ৰ ৰজাৰ আদেশ অনুসৰি, কৌৰৱ-কোঁৱৰ-সকলে আৰু পাত্ৰ-মন্ত্ৰীসকলে আগবাঢ়ি গৈ সিংহদুৱাৰৰপৰা সিবিলাকক আদৰি আনিলেগৈ। পাণ্ডৱসকলৰ পুনৰাগমন চাবলৈ হস্তিনাপুৰৰ নৰ-নাৰী চাপি নগৰ ভৰি পৰিলহি। সকলো বাহিৰে-ভিতৰে নগৰত উৰুলীকৃত হৈ পাণ্ডুৰ পুত্ৰ পঞ্চপাণ্ডৱক সিবিলাকৰ মাতৃ কুন্তীৰে সৈতে জীৱিতাৱস্থাত দেখি, সদৌ-হস্তিনাপুৰ বাসীৰ অন্তৰত আনন্দ উপচি পৰিল!

পঞ্চ-পাণ্ডৱে নগৰ সোমায়েই পোনেই ৰজাৰ কাৰেঙলৈ গৈ, যথাবিধি পিতৃব্য ৰজা ধৃতৰাষ্ট্ৰৰ চৰণ-সেৱা কৰিলেগৈ;

(১) মহাভাৰত, আদিপৰ্ব্ব, বিদুৰাগমন পৰ্ব্বাধ্যায় ২০৬ আধ্যা।

(২) শ্ৰীকৃষ্ণক সৰ্ব্বশাস্ত্ৰজ্ঞ আৰু সৰ্ব্বপ্ৰধান আদৰ্শ পুৰুষ বুলি সেই কালৰ সকলো জ্ঞানীলোকে সমানে মানিছিল।

(৩) মহাভাৰত, আদিপৰ্ব্ব, ৰাজ্যলাভ পৰ্ব্বাধ্যায়, ২০৭ আধ্যা।

আৰু অন্ধৰাজ ধৃতৰাষ্ট্ৰয়ো পঞ্চপাণ্ডৱক এজন-এজনকৈ আলিঙ্গন কৰি অপত্য-স্নেহ জ্ঞাপন কৰিলে। তাৰপাচত সিবিলাকে অন্তঃপুৰলৈ প্ৰৱেশ কৰি ৰাজপৰিয়ালৰ পূজনীয়া পুৰনাৰীসকলক যথানিয়মে সেৱা-সৎকাৰ কৰি, ৰাজাজ্ঞা অনুসৰি সিবিলাকলৈ আচুতীয়াকৈ যুগুত কৰি থোৱা ৰাজভৱনত থিত্ লৈ, মনৰ সুখ আৰু প্ৰাণৰ শান্তিৰে দিন নিয়াবলৈ ধৰিলে; আৰু অনুপমা ৰূপহী দ্ৰৌপদী দেবীৰ ঘৰ-জেউতিয়ে অন্তঃপুৰ প্ৰফুল্লিত কৰিলে।

সেইদৰে কিছুমান দিন পাৰ হোৱাৰ পাচত, অন্ধৰাজ ধৃতৰাষ্ট্ৰই পণ্ডপাণ্ডৱক কাষলৈ মতাই আনি এই বুলি অনুজ্ঞা দিলে, "হে মোৰ চেনেহৰ ভতিজা যুধিষ্ঠিৰ! তোমালোক পাঁচোটি ককাই-ভায়েৰে মোৰ সিদ্ধান্ত মনপাৰি শুনিবাহঁক; মোৰ পুত্ৰগণ আৰু তোমালোক পাঁচ-পাণ্ডৱৰ মাজত যাতে আকৌ মনোবাদ ঘটিবলৈ নাপায়, সেই অৰ্থে তোমালোকক কুৰুৰাজ্যাংশ খাণ্ডৱপ্ৰস্থ দান কৰিছোঁ। তোমালোকে তাত গৈ মনোমতকৈ নগৰ পাতি লৈ সেই ৰাজ্যাংশৰ অধিপতি হৈ থাকাঁগৈ। তাত ভৱিষ্যতে তোমালোকৰ কোনো অপায়-অমঙ্গল ঘটিবৰ শঙ্কা নাই।"[১]

ৰাজাজ্ঞা শিৰোধাৰ্য্য কৰি যথাসময়ত পঞ্চ-পাণ্ডৱ সপৰিয়ালে আৰু সবান্ধৱে খাণ্ডৱপ্ৰস্থলৈ যাত্ৰা কৰিবলৈ সষ্টম হৈছে, এনেতে পাণ্ডৱ বান্ধৱ শ্ৰীকৃষ্ণদেৱ আহি হস্তিনাপুৰত উপস্থিত। তেওঁৰ বুদ্ধি-পৰামৰ্শ আৰু যথাসাহায্যত পাণ্ডৱসকলে খাণ্ডৱপ্ৰস্থত এখনি বিতোপন নগৰ পাতি লৈ তাত থিতাপি হলগৈ। সেই নগৰৰ নাম হল ইন্দ্ৰপ্ৰস্থ। আৰু, যিমানলৈকে পাণ্ডৱৰাজ্য বিস্তাৰ হল, সিমানলৈকে সেই ৰাজ্য ইন্দ্ৰপ্ৰস্থ নামে অভিহিত হল। পাণ্ডৱ পোনেই গৈ থিতাপি হওঁতে খাণ্ডৱপ্ৰস্থ এখন জনশূন্য অটব্য বন আছিল। তাত মানুহৰ বসতি আৰু নগৰৰ চিন্-মোকাম একো নাছিল। কিন্তু, অসাধাৰণ ৰাজনৈতিক পুৰুষ শ্ৰীকৃষ্ণৰ বুদ্ধি, পৰামৰ্শ আৰু বিবিধ সাহায্যৰ বলত অতি সোনকালে পাণ্ডৱ ৰাজ্য ইন্দ্ৰপ্ৰস্থ আৰ্য্যাৱৰ্ত্তৰ ভিতৰত এখন সবাতকৈ উন্নত আৰু অগ্ৰগণ্য ৰাজ্য হৈ জিলিকি উঠিল।[২]

চতুৰ্দশ আধ্যা

সুভদ্ৰাহৰণ

ইন্দ্ৰপ্ৰস্থত পাণ্ডৱসকলে বছৰচেৰেক সুখ-শান্তিৰে ৰাজ্যভোগ কৰি আছে, এনেতে পাঁচ-পাণ্ডৱৰ মাজত স্থিৰিকৃত দ্ৰৌপদীসহবাস সম্পৰ্কীয় নিয়ম-নিবন্ধন উলঙ্ঘন কৰা অপৰাধত, তৃতীয় পাণ্ডৱ অৰ্জ্জুনে বাৰ বছৰ ব্ৰহ্মচাৰীৰূপে বনবাস খাটিবলগীয়া হয়। তেওঁ স্বকীয় প্ৰতিশ্ৰুতি অনুসৰি, বাৰ বছৰৰ নিমিত্তে বিদেশ ভ্ৰমণ কৰে গৈ।[৩]

---

(১) খাণ্ডৱপ্ৰস্থ যমুনা নৈৰ পছিম পাৰত অৱস্থিত। হস্তিনাপুৰ গঙ্গা নৈৰ পূব পাৰত। গঙ্গা-যমুনাৰ মাজৰ ভূমিখণ্ডৰ পুতলেই হস্তিনাপুৰ আৰু খাণ্ডৱপ্ৰস্থৰ ব্যৱধান। পাণ্ডৱৰ দ্বাৰাই নগৰ প্ৰতিষ্ঠা হোৱাৰ পূৰ্ব্বলৈকে খাণ্ডৱপ্ৰস্থ এখন অটব্য হাবি আছিল।—মহাভাৰত, আদিপৰ্ব্ব, ৰাজ্যলাভ পৰ্ব্বাধ্যায়, ২০৭ আধ্যা।

(২) ইন্দ্ৰপ্ৰস্থ নগৰ স্থাপন কৰোঁতাত শ্ৰীকৃষ্ণৰ গৃহনীতি আৰু সমাজনীতি বিষয়ক জ্ঞানবুদ্ধিৰ প্ৰথম, অথচ নিপুণ চিনাকি পোৱা যায়।

(৩) নাৰদ মুনিৰ পৰামৰ্শ আৰু উপদেশ অনুসৰি ভৱিষ্যত আত্মকন্দল নিবাৰণৰ অৰ্থে, দ্ৰৌপদীৰে সৈতে সহবাসৰ নিয়ম পঞ্চ-পাণ্ডৱৰ মাজত এইদৰে নিৰ্দ্ধাৰিত হয় যে, যি সময়-বিভাগত পালমতে যি জন পাণ্ডৱ দ্ৰৌপদীৰ সঙ্গত থাকিব, সেই সময়ত অন্যতম পাণ্ডৱৰ সাক্ষাৎ নিষেধ; যদি ঘটনাক্ৰমে কোনো এজনে সেই নিয়ম লঙ্ঘন কৰে, তেন্তে তেওঁ ১২ বছৰ কাল স্বৰাজ্য এৰি বনবাস খাটিব লাগিব। এই নিয়ম পালন কৰিবলৈ পঞ্চপাণ্ডৱ প্ৰতিশ্ৰুত হয়। পিচে, এদিন এজন উপায়হীন ব্ৰাহ্মণৰ মিনতি মতে, ডকাইতৰ হাতৰপৰা তেওঁৰ গাই এজনী উদ্ধাৰ কৰি দিয়াৰ উদ্দেশে অৰ্জ্জুনে তেওঁৰ শৰধেনু আনিবলৈ বুলি ব্যগ্ৰতাৰে অস্ত্ৰাগাৰত সোমালগৈ। দৈব-দুৰ্ব্বিপাকত সেই সময়ত সেই কোঠাত দ্ৰৌপদীসহ যুধিষ্ঠিৰ বৰ্ত্তমান আছিল। গতিকে, পূৰ্ব্বৰ প্ৰতিশ্ৰুতি অনুসাৰে, সেই দিন ধৰি অৰ্জ্জুনে ১২ বাৰ বছৰ কাল ইন্দ্ৰপ্ৰস্থৰপৰা বাজ হৈ নানা দেশ পৰ্য্যটন কৰি ফুৰিছিল।—মহাভাৰত, আদিপৰ্ব্ব, অৰ্জ্জুনবনবাস পৰ্ব্বাধ্যায়, ২১৩ আধ্যা।

সেই যাত্ৰাত ভাৰতৰ নানা ৰাজ্য[1] পৰ্যটনৰ শেহত, অৰ্জ্জুনে প্ৰাণসখি শ্ৰীকৃষ্ণক সাক্ষাৎ কৰাৰ উদ্দেশে তেওঁৰ প্ৰতিষ্ঠিত সুৰম্য ৰাজ্য দ্বাৰকাত উপনীত হলগৈ। অৰ্জ্জুন-আগমনৰ বাৰ্ত্তাত শ্ৰীকৃষ্ণদেৱৰ মহা আনন্দ মিলিল; আৰু তেওঁৰ আদেশ-উপদেশ অনুযায়ী দ্বাৰকাদ্বাৰত অৰ্জ্জুন-অভ্যৰ্থনাৰ এটা মহোৎসৱ পাৰ হৈ যায়। তাৰ পাচত, কৃষ্ণাৰ্জ্জুনে দিনদিয়েক নীৰলে প্ৰভাসত বাস কৰিলেগৈ। তাত বান্ধৱ-মিলনৰ সুখ উপভোগ কৰি দুয়ো সোণ খটোৱা ৰথত চৰি দ্বাৰকালৈ প্ৰত্যাগমন কৰিলে। দ্বাৰাৱতী নগৰীৰ সীমা পাৰ হৈয়ে সিবিলাকে দ্বাৰকাধাৰ ৰৈৱতকৰ মুখে আগুৱাবলৈ ধৰিলে। সিকালে, সেই দিনাই ৰৈৱতকত সদৌ যাদৱসকলৰ এটা বছৰেকীয়া উৎসৱ পতা হৈছিল। তাত যাদৱবৰ্গ, বিশেষকৈ বৃষ্ণি-ফৈদীয়া কোঁৱৰসকল আৰু সিবিলাকৰ কুলনাৰীসকল সমবেত হৈ মহোল্লাসত মগ্ন হৈ আছিল। সেই আপাহতে শ্ৰীকৃষ্ণৰ অনুজ্ঞা অনুসৰি ৰৈৱতকৰ সদৌ দুৱাৰ আৰু ৰাজবাটবোৰ মনমোহাকৈ বিতোপন সাজেৰে সজোৱা হৈছিল। তাৰে ঘাই দুৱাৰ আৰু ঘাই বাটেদি পাৰ কৰি নি, শ্ৰীকৃষ্ণই প্ৰাণসখি অৰ্জ্জুনক যাদৱ উৎসৱস্থলত উপস্থিত কৰালেগৈ। প্ৰখ্যাত ধনুৰ্ব্বিদ্ ৰণ-পণ্ডিত পৰম-ৰূপৱন্ত পুৰুষ তৃতীয় পাণ্ডৱ অজেয় ধনঞ্জয়ৰ দৰ্শনলাভৰ উদ্দেশে যাদৱ ৰাজবাটৰ দুয়োকাষে জনতাৰ মাজে বিৰ্ দি বাট নোপোৱাত পৰিছিল। উৎসৱ-মণ্ডপৰ মাজলৈ সোমাই গৈ অৰ্জ্জুনে প্ৰিয়তম বন্ধু শ্ৰীকৃষ্ণৰে সৈতে শাৰী-পাতি নিৰূপিত আসনত বহি যাদৱাঙ্গনাগণৰ মনমোহা নাচোন, হৃদয়গ্ৰাহী গীত, চকু-জুৰোৱা সাজ-পাৰ ইত্যাদি মুগ্ধ চিত্তেৰে চাবলৈ আৰু শুনিবলৈ ধৰিলে।

সেইদিনা সেই উৎসৱৰ আনন্দসাগৰত নাদুৰি ফুৰা যদুকুলকুমাৰীবৃন্দৰ মাজত বাসুদেৱৰ অতি চেনেহৰ সুমলীয়া ভনীয়েক পৰমৰূপৱতী বৃষ্ণি-ৰাজকুমাৰী বসুদেৱনন্দিনী সুভদ্ৰাদেৱী জোনবিৰিটিৰ দৰে জিলিকিছিল। বহুপৰ বিবিধ গায়িকা আৰু নায়িকালৈ লক্ষ্য কৰাৰ পাচত, মদনমোহন সুপুৰুষ কৃষ্ণকান্তি কৃষ্ণসখি অৰ্জ্জুনৰ কটাক্ষ কৃষ্ণভনী অনুপমা সুন্দৰী সুভদ্ৰা আইদেৱৰ ওপৰত পৰিল; —পৰিল যি পৰিল, তাক পুনঃ তুলি আনিবলৈ বীৰ ধনঞ্জয়ৰ শক্তি নোহোৱাত পৰিল। আন হাতে, প্ৰিয়-সখিৰ সেই দুৰদশা দেখি মতিমান্ শ্ৰীকৃষ্ণদেৱে সেই দশাৰ আশুফল গণিবলৈ ধৰিলে। বাসুদেৱৰ সুতীক্ষ্ণ উপস্থিত-বুদ্ধিয়ে ততালিকে মুগ্ধ অৰ্জ্জুনৰ অনুৰাগ ধৰা পেলালে, আৰু তেতিক্ষণে তেওঁ তাৰ প্ৰতিবিধানৰ দিহাও চিন্তি স্থিৰ কৰি ললে।[2] তাৰ পাচত, বন্ধুৰ চুপতি-ছলেৰে শ্ৰীকৃষ্ণই এই বুলি অৰ্জ্জুনক প্ৰশ্ন কৰিলে, "সখি, ই কি! ব্ৰহ্মচাৰী অৱস্থাত দেখোন গৃহস্থালীৰ ভাব!" স্বকীয় প্ৰতি-শ্ৰুতি স্মৰণ কৰি অৰ্জ্জুন ক্ষন্তেকৰ নিমিত্তে অপ্ৰস্তুত হল! তাৰ পাচত, তেওঁ প্ৰাণসখি শ্ৰীকৃষ্ণৰ আগত তেওঁৰ মনো-ভাব খোলোচাকৈ প্ৰকাশ কৰি, অতি বিচলিতভাৱে এই বুলি বাসুদেৱত অনুৰোধ জনালে, "সখি! তুমি অন্তৰ্য্যামী;[3] তোমাৰ আগত মোৰ মানৱ মনৰ ভাব লুকাই থাকিব পাৰে নে? পিচে, এতিয়া কৰোঁ কি! কি উপায়েৰে মোৰ মনোৰথ পূৰ্ণ কৰোঁ?" শ্ৰীকৃষ্ণই মিচিকিয়া

---

(১) অৰ্জ্জুনে বনবাস খটাৰ কালত যিবোৰ ৰাজ্য পৰ্য্যটন কৰিছিল, তাৰ ভিতৰত নাগৰাজ্য (নগাপৰ্ব্বত), বশিষ্ঠপৰ্ব্বত, অগস্ত্যবট, ভৃগুতুঙ্গ, হিৰণ্যবিন্দুৰ তীৰ্থ, গয়া-তীৰ্থ, অঙ্গ, বঙ্গ, কলিঙ্গ, মহেন্দ্ৰপৰ্ব্বত, মণিপুৰ, অগস্ত্য-তীৰ্থ, সৌভদ্ৰ, পৌলোম, কাৰঙ্গমতীৰ্থ, ভৰদ্বাজতীৰ্থ, গোকৰ্ণতীৰ্থ, দ্বাৰকা এইবোৰ প্ৰধান। এই পৰ্য্যটনৰ কালত তৃতীয় পাণ্ডৱ অৰ্জ্জুনে নাগৰাজকন্যা উলুপী মণিপুৰৰ ৰাজকন্যা চিত্ৰাঙ্গদা আৰু বৃষ্ণিফৈদীয়া যাদৱীকুমাৰী সুভদ্ৰা এই তিনি গৰাকী ভাৰ্য্যাৰ পাণিগ্ৰহণ কৰে।—মহাভাৰত, আদিপৰ্ব্ব, অৰ্জ্জুন-বনবাস পৰ্ব্বাধ্যায় আৰু সুভদ্ৰাহৰণ পৰ্ব্বাধ্যায়, ২১৪—২২১ আধ্যা।

(২) শ্ৰীকৃষ্ণই তেওঁৰ প্ৰাণপ্ৰতিম কনিষ্ঠা সহোদৰা সুভদ্ৰা আইদেৱৰ নিমিত্তে যোগ্য পাত্ৰ বুলি পৰম ৰূপৱন্ত অজেয় মহাৰথ অৰ্জ্জুনক কেতিয়াবাৰেপৰা পাঙি থৈছিল।

(৩) শ্ৰীকৃষ্ণৰ ঈশ্বৰত্বত অৰ্জ্জুনৰ সুগভীৰ আস্থাৰ আভাস ইমানৰেপৰা ধৰা পৰিছে; যথাসময়ত গীতা-ব্যাখ্যাত তাৰ পূৰ্ণ-বিকাশ হবগৈ।

হাঁহি এটি মাৰি এই বুলি সমিচাৰ দিলে, "উপায় অৱশ্যে হ'ব। তোমাৰ মনচুৰুণী সেইটি মোৰ মুমলীয়া ভনী সুভদ্ৰা। অনতিপলমে সুভদ্ৰাৰ সয়ম্বৰ পতা হৈছে। কিন্তু, তাৰ পূৰ্ব্বক্ষণতে তুমি তোমাৰ সেই ভাবী পত্নীক হৰণ কৰি নিবা। ইয়াত লাজ বা পাপৰ কোনো সংশয় নাই। কিয়নো, শাস্ত্ৰকাৰসকলৰ মতে, বিবাহৰ উদ্দেশ্যে স্ত্ৰীহৰণ কৰাত পাপ নাই, আৰু তেনে বিষয়ত বল প্ৰদৰ্শন কৰাটো ক্ষত্ৰিয় সন্তানৰ বীৰোচিত আৰু কুলোচিত কাৰ্য্য"।[১]

শ্ৰীকৃষ্ণৰ আশ্বাসত বিশ্বাস মানি অৰ্জ্জুন নিশ্চিন্ত হ'ল। তাৰ পাচত, দুইবো আলোচনামতে মাতৃ-আজ্ঞা আৰু ভ্ৰাতৃ-অনুমতি প্ৰাৰ্থনা কৰি, অনতিপলমে ইন্দ্ৰপ্ৰস্থলৈ সুচতুৰ দূত পঠিওৱা হ'ল।[২] যথাসময়ত কুন্তী দেৱীৰ আজ্ঞা আৰু পাণ্ডব-ৰাজ যুধিষ্ঠিৰৰ অনুমতি আহি পোৱাত, শ্ৰীকৃষ্ণৰ সাহায্যত যুগুত উপায় লাভ কৰি, সুভদ্ৰা-হৰণৰ অৰ্থে অৰ্জ্জুন সক্ষম হ'ল।

কৃষ্ণ-কৌশল অনুযায়ী ইতিমধ্যত বৈৰতকত আৰু এটি মনোৰম উৎসৱ পতা হৈছিল।[৩] সেই উৎসৱত সপত্নীক যাদৱসকল, বিশেষকৈ বৃষ্ণি-পৰিয়ালে যথাআড়ম্বৰেৰে গৈ উৎসৱত যোগ দিছিলগৈ। সেই আপাহতে বৃষ্ণিৰাজ-জীয়াৰী অৰ্জ্জুনচিত্তহাৰিণী ৰূপহী সুভদ্ৰা আইদেৱেও আপোন সখীসকলৰে সৈতে লগ লাগি আপোনমনেৰে মুকলিমূৰীয়াকৈ উৎসৱত যোগ দিছিলগৈ। সেই সোণা-ময় ছেগতে ইফালে অৰ্জ্জুনে সখি-কৃষ্ণৰ ৰথত চৰি মৃগয়ালৈ যাওঁ বুলি ওলাই গৈ সুভদ্ৰা উভটি অহা বাটত থাপ দি ৰ'লগৈ। যথাপৰত লগুৱা-লিগিৰী, সখীসকল আৰু গা-চোৱা পৰীয়া প্ৰভৃতিৰে পৰিবেষ্টিত হৈ উলটি আহি থাকোতে, অৰ্জ্জুনে বিজুলী-বেগেৰে চোচা মাৰি গৈ সুভদ্ৰা সুন্দৰীক হৰণ কৰি ৰথত তুলি লৈ দ্ৰুত বেগেৰে নিজ ৰাজ্যৰ অভিমুখে ৰথ চলাই দিলে। লগৰীয়াবিলাকে তৰধ লাগি ভালেমানপৰ চাই থাকি, তাৰ পাচত গৈ যাদৱ-ৰাজসভাত সংবাদ দিলেগৈ। সুভদ্ৰা-হৰণ-সংবাদ পোৱা মাত্ৰকে সভাপালে বিপদজ্ঞাপক ৰণভেৰী বাদন কৰিবলৈ ধৰিলে।[৪] সেই ভেৰী শুনা মাত্ৰকে ভোজ, বৃষ্ণি আৰু অন্ধক পৰিয়ালৰ যাদৱসকল উত্ৰাৱল হৈ আহি ৰাজসভাত উপস্থিত হ'লগৈ। সভাপালৰ মুখে সুভদ্ৰা-হৰণৰ অশুভ সংবাদ শুনি সকলোটি উত্তেজিত হৈ উঠিল। সিবিলাকে তুৰন্তে অৰ্জ্জুনৰ পিচত খেদা দিবলৈ যো-জা কৰিলে। এনেতে, বলৰাম আহি উপস্থিত। তেওঁ এই বুলি সিবিলাকক পৰামৰ্শ দিবলৈ ধৰিলে, "অধৈৰ্য্য নহবাচোন-হঁক, এই বিষয়ত কৃষ্ণৰ মতামত নোলোৱাকৈ আগবঢ়াটো বাঞ্ছনীয় নহব। ৰবাঁহক, মই কৃষ্ণক সুধি আহোঁ।" এই বুলি অগ্ৰজ বলৰামে ভায়েক শ্ৰীকৃষ্ণৰ কাষলৈ গৈ এইদৰে কথা-বাৰ্ত্তা পাতিবলৈ ধৰিলে, "হেৰা কৃষ্ণ! তুমি এনে গুৰুতৰ বিষয়ত মনে মনে আছা কিয়? অবোধ পাণ্ডব অৰ্জ্জুনে আমাক আমাৰ ঘৰত আহি এনে অসহনীয় অপমান কৰি গ'লহি, তুমি মনে-মনে আছা! আমি তোমাৰ অনুৰোধত, তোমাৰ সন্তোষ বঢ়াবৰ অৰ্থে হে সেই অকৃতজ্ঞ অৰ্জ্জুনক আদৰ-অভ্যৰ্থনাৰে সৈতে সন্মানিত কৰিছিলোঁ, এতিয়া তুমি আমাৰ কুল-অপমানত মৌনব্ৰত ধৰিছা! ই কি কথা! আমি এতিয়াই সসৈন্যে গৈ অৰ্জ্জুনক

(১) মনুৰ বিধানমতে বিয়া ৮ আঠ বিধ,—(১) ব্ৰাহ্ম, (২) দৈব, (৩) আৰ্ষ, (৪) প্ৰাজাপাত্য, (৫) আসুৰ, (৬) গান্ধৰ্ব্ব, (৭) ৰাক্ষস, (৮) পৈশাচ। ইয়াৰ ভিতৰৰ আসুৰ, গান্ধৰ্ব্ব, ৰাক্ষস আৰু পৈশাচ এই চাৰিবিধ ক্ষত্ৰিয়ৰ পক্ষে বৈধ বিয়া; কিন্তু তাৰো ভিতৰত গান্ধৰ্ব্ব আৰু ৰাক্ষস এই দুবিধ হে ক্ষত্ৰিয় সমাজত বৈধ আৰু বিশিষ্ট বুলি পৰি-গণিত।—মনু, ২৫ শ্লোক।

(২) মহাভাৰত, আদিপৰ্ব্ব, সুভদ্ৰাহৰণ পৰ্ব্বাধ্যায়, ২১৯ আধ্যা।

(৩) গিৰি-পূজা আৰু গিৰি-উৎসৱ শ্ৰীকৃষ্ণদেৱৰ অতি প্ৰিয়কাৰ্য্য। ইয়াক তেওঁ প্ৰকৃতি-পূজাৰূপে প্ৰবৰ্ত্তাইছিল। বৃন্দাবনৰ গোবৰ্দ্ধন আৰু দ্বাৰকাৰ বৈৰতক সেই পূজা-উৎসৱৰ বিশিষ্ট থান।

(৪) মহাভাৰত, আদিপৰ্ব্ব, সুভদ্ৰাহৰণ পৰ্ব্বাধ্যায়, ২২০ আধ্যা।

আদ-বাটৰপৰা ধৰি আনি বন্দী কৰি প্ৰাণ-ভনী সুভদ্ৰাক উদ্ধাৰ কৰি কুলগৌৰৱ ৰক্ষা কৰিবলৈ সকলোটি সক্ষম হৈছোঁ ; আৰু মই অকলেই এই বসুন্ধৰাক নিকৌৰৱ কৰিব পাৰোঁ।—তোমাৰ মতামত শুনিবলৈ মাথোঁ বাকী।"[১]

অগ্ৰজৰ ককৰ্থনাত আৰু যাদৱবৰ্গৰ উত্তেজনাত অকণো বিচলিত নহৈ, শ্ৰীকৃষ্ণদেৱে স্থিৰ-গম্ভীৰ ভাৱে এই বুলি সমিচাৰ দিলে, "দাদা! অৰ্জ্জুনে আমাৰ বংশক অপমান কৰা নাই, তেওঁৰ কাৰ্য্যে আমাৰ বংশ-গৌৰৱ বঢ়াইছে হে। অৰ্জ্জুনে জানে যে, আমি অৰ্থলোভী বংশ নহওঁ, আমি ধন-বস্তু ৰাজ্য-ঐশ্বৰ্য্য লৈ আমাৰ জীয়াৰীক সলাম বুলিও তেওঁ বিশ্বাস নকৰে। গো-দানৰ দৰে কন্যা-দান-গ্ৰহণ কৰা শাৰীৰ লোকো অৰ্জ্জুন নহয়। অৰ্জ্জুনে নিজৰ বাহুবল নিজে ভালকৈ বুজে। তেওঁ বিবাহৰ উদ্দেশ্যে উপযুক্তা পাত্ৰী হৰণ কৰি ক্ষত্ৰিয়োচিত কাৰ্য্য কৰিছে, আৰু এনে কাৰ্য্য শাস্ত্ৰৰ অবৈধ নহয়। এনে যুক্তিস্থলত অৰ্জ্জুনে সুভদ্ৰাক হৰণ নকৰি সয়ম্বৰলৈ বাট চাব নে? আন হাতে, অৰ্জ্জুন হে সুভদ্ৰাৰ উপযুক্ত পাত্ৰ। তেওঁ সুবিখ্যাত ভৰতবংশৰ বংশধৰ। তেওঁৰ সমান ধনুৰ্ব্বিদ্-বীৰ দ্বিতীয় নাই। তাৰোপৰি, অৰ্জ্জুন আমাৰ পেহীপুত্ৰ ভাই। এইবোৰ কথা গমি চাই সত্যমত দিবলৈ হলে, মই কওঁ যদুকুলৰত্না সুভদ্ৰাৰ স্বামী হবলৈ অৰ্জ্জুনতকৈ উপযুক্ত পাত্ৰ নোলাব।[২] সেই কাৰণে, মই পৰামৰ্শ দিওঁ, আপোনাসকলে গৈ অৰ্জ্জুনক আদবাটৰপৰা আদৰি ঘূৰাই আনি আমাৰ অতি আদৰৰ জীয়াৰী সুভদ্ৰা আইদেৱক যথাবিধি তেওঁলৈ বিয়া দি আমাৰ বংশ-গৌৰৱ বঢ়াওক।" শ্ৰীকৃষ্ণৰ এই জ্ঞানগৰ্ভ উপদেশত যাদৱবৰ্গ সৈমান হল। আৰু, সিবিলাকে সেইমতে যথাসময়ত কৃষ্ণভনী বৃষ্ণি কৈদীয়া ৰাজকুমাৰী সুভদ্ৰা আইদেৱক তৃতীয় পাণ্ডৱ অৰ্জ্জুনলৈ শুভবিয়া দি, পাণ্ডৱৰ লগত সিবিলাকৰ সম্বন্ধ-বান্ধ দৃঢ়তৰ কৰিলে।[৩]

পঞ্চদশ আধ্যা

খাণ্ডৱ-দাহ

ইন্দ্ৰপ্ৰস্থৰ আদিনাম খাণ্ডৱপ্ৰস্থ। ই এখন অটব্য অৰণ্য আছিল। ধৃতৰাষ্ট্ৰ ৰজাৰ অনুজ্ঞা অনুসৰি পঞ্চপাণ্ডৱে ইয়াৰ একাংশত মাথোন ইন্দ্ৰপ্ৰস্থনামে নগৰ পাতি তাত থিত লৈছিল। তাৰ পাচত, সিবিলাকৰ খ্যাতি আৰু ক্ষমতা বঢ়াৰ লগে লগে ৰাজ্যও বঢ়াবলগীয়া হয়। সেই উদ্দেশে পাণ্ডৱ নগৰ অচিৰে বঢ়োৱাৰ আলোচনা কৰা হল।

এনেতে, সুভদ্ৰা-বিবাহৰ পাচত, সেই কালৰ প্ৰচলিত ৰীতি অনুসৰি, সুহৃদ-সম্মিলনীৰ উদ্দেশে ৰাম-কৃষ্ণক আগত লৈ, ঘাই ঘাই যাদৱ পৰিয়ালৰ প্ৰতিনিধিসকল ইন্দ্ৰপ্ৰস্থত সমবেত হয়হি। সেই ছেগতে শ্ৰীকৃষ্ণৰ পৰামৰ্শ অনুসৰি পাণ্ডৱসকলৰ নগৰ ইন্দ্ৰপ্ৰস্থ বহলোৱাৰ প্ৰস্তাৱ পকি উঠে। পঞ্চপাণ্ডৱে যাদৱ সুহৃদসকলৰ আগমনৰ সন্মানত সিবিলাক থাকোতে-থাকোতেই সেই প্ৰস্তাৱ কাৰ্য্যত পৰিণত কৰিবলৈ আগ বাঢ়িলে। আৰু, সেই কালৰ আৰ্য্য-ৰীতি অনুসৰি, খাণ্ডৱপ্ৰস্থৰ বাকীছোৱা অটব্য অৰণ্য দাহ কৰিবৰ অৰ্থে অৰ্জ্জুনে শ্ৰীকৃষ্ণৰে সৈতে লগত ভালেমান কাজুৱা কাৰ্য্যকাৰক লৈ গৈ কেইও-ফালৰপৰা একেচিপতে খাণ্ডৱ বনত জুই লগাই দিয়ালে।[৪]

সেই প্ৰকাণ্ড গহন বন জুৰি খেৰ-খাগৰি বাঁহ-কাঠ আদি গৰাহ মাৰি ধৰি অভ্ৰংলেহী জিভা মেলি ধমধমাই জুই

(১) মহাভাৰত, আদিপৰ্ব্ব, সুভদ্ৰাহৰণ পৰ্ব্বাধ্যায়, ২২০ আধ্যা।

(২) মহাভাৰত, আদিপৰ্ব্ব, সুভদ্ৰাহৰণ পৰ্ব্বাধ্যায়, ২২১ আধ্যা।

(৩) তচ্ছ্ৰুত্বা ক্ষুভিতো ৰামঃ পৰ্ব্বণীৱ মহাৰ্ণবঃ।
গৃহীতপাদঃ কৃষ্ণেন সুহৃদ্ভিশ্চাৰশাম্যত॥
প্ৰাহিণোৎপাৰিবৰ্হাণি বৰোৱধ্বোৰ্মুদা বলঃ।
মহাধনোপস্কৰেভ-ৰথাশ্ব-নৰ-যোষিতঃ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৮৬ আধ্যা, ৮ম শ্লোক।

(৪) মহাভাৰত, আদিপৰ্ব্ব, খাণ্ডৱদাহ পৰ্ব্বাধ্যায়, ২২২ আধ্যা।

জলিবলৈ ধৰিলে। চৌকাষৰ জুইৰ ফিৰিঙতি উফৰি গৈ হাবিৰ মাজত পৰি, তাতো জুই জলি উঠি, বাজে-ভিতৰে একেগৰাহতে অগ্নিয়ে খাণ্ডৱপ্ৰস্থ সমূলঞ্চে গ্ৰাহ কৰিবলৈ[১] ধৰিলে।

ই এটা বৰ ভীষণ দৃশ্য হৈ উঠিছিল।[২] বাজে-ভিতৰে কেইওপিনে জুই লাগি উঠাত খাণ্ডৱ বনবাসী চৰাই-পশু আৰু কোনো কোনো অনাৰ্য্য জাতি বা আদিম অধিবাসী বৰ বিপাঙত পৰিছিল। চৰাইবোৰে কাতৰ ৰাৱে ৰমলিয়াই উৰি উৰি শেহান্তৰত অৱশ হৈ সেই জুইত পৰি অনেক জাহ যাবলৈ ধৰিলে, পাখিৰলী কোনো কোনো চৰাই উৰি উৰি কোনোবা দেশলৈ গুচি গলগৈ। বনৰীয়া ম'হ, মেঠোন, হাতী, সিংহ আদিয়ে ভেডাউৰি কাটি ঢপলিয়াই থাকি এভাগ বনৰ লগতে জাহ গল, এভাগে সুৰুঙা চাই জুইৰ সীমা পাৰ হৈ কোনোবা হাবিলৈ ভাগি গল! বাঘ, ভালুক, শিয়াল, বান্দৰ আদিয়েও হাম্বাও কাটি চাৰিওপিনে চিটিকি পলাবৰ চেষ্টাত জপিয়াই চেকুৰি ফুৰি এভাগটি সাৰিল, সৰহভাগ খাণ্ডৱবনৰ লগতে ছাই হল!

সেই হিয়াবিদৰোৱা ভীষণ দৃশ্যই অৰ্জ্জুনক চমক্ খুৱাই তুলিলে। তেওঁ বিচুৰ্ত্তি খাই কি কৰোঁ কলৈ যাওঁ হল। তেওঁ নিজৰ স্বাৰ্থপৰ কুকৰ্ম্মৰ পৰিণাম চাই অশেষ আত্মগ্লানি কৰিবলৈ ধৰিলে। এনে কি, সেই বিপন্ন জীৱ-জন্তুবোৰক উদ্ধাৰ কৰিবলৈ যেন তেওঁ সেই সৰ্ব্বগ্ৰাহী জলন্ত অগ্নিত জাপ দি পৰিবগৈ, এনেভাৱে উত্তেজিত হৈ উঠিল। পিচে, শ্ৰীকৃষ্ণই সেই আসন্ন সময়ত প্ৰাণসখি অৰ্জ্জুনক বুজাই-বৰাই শান্ত কৰিবলৈ ধৰিলে, আধ্যাত্মিক অৰ্থৰ গভীৰ বুজনি দি বাসুদেৱে অৰ্জ্জুনৰ মনত এনে ধাৰণা বহুৱাই দিলে যে, এই সংসাৰৰ মূলমন্ত্ৰই হৈছে মৰা-জীয়া, এফালে দুৰ্গতি মানে আনফালে প্ৰতিপত্তি, এজনৰ আপদে আনজনৰ সম্পদ মিলায়, আৰু পাত্ৰবিশেষে হে পৰিত্ৰাণ কৰিবলৈ অগ্ৰসৰ হব লাগে, অপাত্ৰক ত্ৰাণ কৰাৰপৰা পুণ্যৰ অপব্যয় হয় মাথোন। শ্ৰীকৃষ্ণৰ ইত্যাদি সাৰগৰ্ভ বুজনি শুনি অৰ্জ্জুন শান্ত আৰু ক্ষান্ত হল।[৩]

ইতিমধ্যত, আৰু এটা মৰ্ম্মস্পৰ্শী দৃশ্যই অৰ্জ্জুনক আকৌ টলাবলৈ ধৰিলে। সিবিলাকৰ নিচেই কাষতে মানুহৰ হাহাকাৰ ধ্বনি শুনি অৰ্জ্জুন চমকি উঠিল। তেওঁ উধাতু খাই গৈ সেই ধ্বনিৰ উদ্দেশে আগ বাঢি দেখিলেগৈ যে, খাণ্ডৱবনৰ আদিবাসীৰ এখন গাওঁ খাণ্ডৱগ্ৰাহী অগ্নিয়ে গ্ৰাস কৰিবলৈ জিভা মেলি যোৱা দেখি সেই মানুহবিলাকৰ মাজত হাহাকাৰ লাগি উঠিছে, আৰু তাৰে নেতা এজনে আতুৰভাৱে কৃষ্ণাৰ্জ্জুনৰ ওচৰত সাহায্য ভিক্ষা কৰিবলৈ লৰি আহিছে। সেই নেতাজনৰ নাম 'ময়'।[৪] পাত্ৰবিশেষে

---

(১) এই প্ৰসঙ্গত মহাভাৰতৰ এক আধ্যাত এটা অলৌকিক ঘটনা ৰচিত হৈছে। যেনে,—এদিন শ্ৰীকৃষ্ণদেৱে অৰ্জ্জুনৰে সৈতে যমুনাপাৰত বহি পাণ্ডৱনগৰ ইন্দ্ৰপ্ৰস্থ বহলোৱাৰ আলোচনা কৰি আছে, এনেতে অগ্নি-দেৱতাই ক্ষুধাৰ্ত্ত ব্ৰাহ্মণৰ বেশ ধৰি সিবিলাকৰ ওচৰত ক্ষুধা নিবাৰণৰ উপায় ভিক্ষা কৰিলেহি। কৃষ্ণাৰ্জ্জুন তাৰ নিমিত্তে প্ৰস্তুত হোৱাত, অগ্নি দেৱতাই আত্ম-পৰিচয় দি, তেওঁৰ উদৰাময় বিকাৰ খণ্ডাবৰ অৰ্থে খাণ্ডৱবন গ্ৰাহ কৰিবলৈ নিজৰ মনোৰথ ব্যক্ত কৰিলে। সেই অনুসৰি, কৃষ্ণাৰ্জ্জুনে খাণ্ডৱ বনত চাৰিওফালৰপৰা জুই লগোৱাই দিয়াত সেই অটবা বন অগ্নিদেৱতাই গ্ৰাহ কৰি ভগবান বাসুদেৱৰ ওচৰত এই ভাৱে সভক্তি কৃতজ্ঞতা প্ৰকাশ কৰে যে, বহুকাল অবিৰাম পৃথিৱীৰ যাগ-যজ্ঞাদিৰ ঘৃতাহুতি ভক্ষণজনিত উদৰ-ৰোগৰপৰা আৰোগ্যলাভ কৰি তেওঁ পৰম উপকৃত হৈছে, আৰু সেই বাবে তেওঁ কৃষ্ণাৰ্জ্জুনৰ নথৈ গুণ লৈছে।—মহাভাৰত, আদিপৰ্ব্ব, খাণ্ডৱদাহ পৰ্ব্বাধ্যায়, ২২৩ ২২৫ আধ্যা।

(২) মহাভাৰত, আদিপৰ্ব্ব, খাণ্ডৱদাহ পৰ্ব্বাধ্যায়, ২২৬—২২৭ আধ্যা।

(৩) ইয়াৰ পাচতো যথাস্থানত গীতা-উক্তিত ভগবান শ্ৰীকৃষ্ণদেৱে অৰ্জ্জুনক এনে আধ্যাত্মিক তত্ত্বজ্ঞান ব্যাখ্যা কৰা আছে; এইফাকি তাঁৰে পাতনিৰ আভাস মাথোন বুলি ধৰিব লাগে।

(৪) মহাভাৰত, সভাপৰ্ব্ব সভাক্ৰিয়াপৰ্ব্বাধ্যায়, ১ম আধ্যা। এই নায়কজন 'ময়দানৱ' নামে পৰিচিত। দীৰ্ঘদৃষ্টিবিশিষ্ট অন্তৰ্যামী স্বৰূপ ভগবান শ্ৰীকৃষ্ণই এই পাত্ৰৰপৰা প্ৰাপ্য ওচৰ-ভবিষ্যতৰ উপকাৰলৈ লক্ষ্য ৰাখি, সেই ময়দানৱক সদলে খাণ্ডৱদাহ আপদৰপৰা মুক্ত কৰি ৰখাইছিল। ইয়াৰ পাচত, অনতিপলমে উপকৃত ময় দানৱে,

এই পাত্ৰৰ পৰিত্ৰাণ বাঞ্ছনীয় বোধ কৰি, অৰ্জ্জুনৰ জৰিয়তে শ্ৰীকৃষ্ণদেৱে যথাসাহায্যেৰে এই ময়দানৱৰ অধিকাৰৰ খাণ্ডৱ-খণ্ড ৰক্ষা কৰিলে; অৱশিষ্ট সুপ্ৰশস্ত খাণ্ডৱ বন সেই অগ্নিদহনৰ ফলত এটা প্ৰকাণ্ড ময়দান বা চাপৰিত পৰিণত হ'ল।

ষোড়শ আধ্যা

যুধিষ্ঠিৰ ৰজাৰ ৰৰচ'ৰা

অৰ্জ্জুনৰ সাহায্যত পৰিত্ৰাণ পাই ময় দানৱ তেওঁৰ প্ৰতি বৰ কৃতজ্ঞ হ'ল। সেই কৃতজ্ঞতা যথাযোগ্যৰূপে কেনেকৈ প্ৰকাশ কৰিব সেই ভাৱত অতিকৈ আগ্ৰহ হোৱাত, ময় দানৱে এইবুলি অৰ্জ্জুনক মিনতি কৰিলেগৈ, "হে কুন্তীনন্দন পাৰ্থ! আপুনি সদলে মোক জলন্ত অগ্নিৰ গৰাহৰপৰা উদ্ধাৰ কৰিলে; সেইবাবে মোৰ কৃতজ্ঞতাৰ চিন্‌স্বৰূপ আপোনাক কিবা প্ৰত্যুপকাৰ কৰিবলৈ পালে মই পৰম সুখী হওঁ। এতেকে, কি কাৰ্য্য কৰিম আজ্ঞা দিয়ক।" অৰ্জ্জুনে তদুত্তৰত হৃষ্টচিত্তেৰে এই বুলি সমিচাৰ দিলে, "হেৰা, মহাসুৰ! তুমি যে মোৰ সাহায্যত মৃত্যুৰ গৰাহৰপৰা ৰক্ষা পালা; সেইবাবে মই তোমাৰ দ্বাৰাই কোনো কাৰ্য্য কৰাই লবলৈ ইচ্ছা নকৰোঁ, কিয়নো, তোমাৰ সমস্ত প্ৰত্যুপকাৰ কৰা হৈছেই; কিন্তু তোমাৰপৰা সততে প্ৰীতি-স্নেহ পাবলৈ হে মই বাঞ্ছা কৰোঁ।"[১] ময় দানৱে কিন্তু কিবা অলপ উপকাৰী কাৰ্য্য কৰি দিবলৈ নেপালে নেৰে; তেওঁ ঘূৰি ঘূৰি সেই অৰ্থে অৰ্জ্জুনক মিনতি কৰিবলৈ ধৰিলে। অৰ্জ্জুনে অগত্যা আকৌ এই বুলি সমিধান দিলে, "বাৰু, বাঞ্ছা যাতে ব্যৰ্থ নহয়, তাৰ মই দিহা দিওঁ; তুমি যি হয় শ্ৰীকৃষ্ণৰ কিবা উপকাৰ কৰাঁগৈ; সেয়ে হলেই মোৰ প্ৰতি তোমাৰ কৃতজ্ঞতা প্ৰকাশ কৰা হব।" তাৰ পাচত, ময় দানৱে শ্ৰীকৃষ্ণৰ কাষলৈ গৈ এইবুলি বিনীত প্ৰাৰ্থনা জনালেগৈ, "হে দামোদৰ! মোক সদলে আসন্ন আপদৰপৰা ৰক্ষা কৰাৰ বাবে কুন্তীনন্দন পাৰ্থৰ ওচৰত কৃতজ্ঞতাৰ চিন্‌ স্বৰূপ তেওঁৰ কিবা কাৰ্য্য কৰি দিবলৈ তেওঁত অনুমতি মাগিছিলোঁগৈ। পিচে, তেওঁ এই সমিধান দিছে যে, আপোনাৰ অভিপ্ৰেত কোনো কাৰ্য্য সাধন কৰি দিব পাৰিলেই মোৰ উদ্দেশ্য সাধিত হব। মই এজন শিল্পী, গৃহনিৰ্ম্মাণ কাৰ্য্যাদিত মোৰ সম্যক্‌ ব্যুৎপত্তি আছে। এতেকে, হে মাধৱ! কি কাৰ্য্য কৰিব লাগিব তাৰ বিধান দিলে কৃতাৰ্থ হওঁ।" সুদূৰদৰ্শী সুবিজ্ঞ ৰাজনীতিজ্ঞ আদৰ্শ পুৰুষ শ্ৰীকৃষ্ণদেৱে চিন্তালোচনা কৰি চাই, এই বুলি অনুজ্ঞা দিলে, "হে দানৱ-ৰত্ন, তোমাৰ আচৰণত আমি অতিশয় তুষ্ট হৈছোঁ। বাৰু, যোৱাঁ, তুমি ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ নিমিত্তে ইন্দ্ৰপ্ৰস্থত অতি বিতোপনকৈ এটি ৰজাৰ ৰৰচ'ৰা[২] নিৰ্ম্মাণ কৰাঁগৈ। সেই ৰৰচ'ৰাৰ এনে অপূৰ্ব্ব গঠন হব লাগিব, যাতে আগেয়ে তেনে গঠন কেৱে দেখা নাই, আৰু পাচলৈয়ো যাক অন্যে অনুকৰণ কৰিব নোৱাৰিব। সেয়ে হলেই অৰ্জ্জুনৰ প্ৰতি তোমাৰ সৰল কৃতজ্ঞতাৰ যথাযোগ্য চিন্‌ হৈ যাব।" বাসুদেৱৰ সেই সদুপদেশ শিৰত লৈ ময় দানৱে মহা আনন্দেৰে ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ ৰৰচ'ৰা নিৰ্ম্মাণৰ কাৰ্য্য আৰম্ভ কৰিলেগৈ। তাৰ পাচত, ময় দানৱে চৈধ্য-মাহৰ মূৰত এটি ৰমণীয় ৰাজ-চ'ৰা নিৰ্ম্মাণ কৰি উঠি, ধৰ্ম্মৰাজ যুধিষ্ঠিৰক সমাপ্তি-সংবাদ দিলেগৈ।[৩]

ময়দানৱনিৰ্ম্মিত যুধিষ্ঠিৰৰ ৰৰচ'ৰা বাস্তৱতে এটি অপূৰ্ব্ব সৃষ্টি। তেনেকুৱা ৰাজচ'ৰা আগে-পিচে আৰু কেৱে ৰচিব জনা নাই। সেই ৰাজ-চ'ৰাত ভাৰতৰ নানা ঠাইৰপৰা

বাসুদেৱৰ অলক্ষিত কৌশলৰ ফেৰত পৰি, পাণ্ডৱসকলক সিবিলাকৰ নতুন ৰাজ্য স্থাপন আৰু নতুন নগৰ গঠনত সহায় কৰি বিস্তৰ উপকাৰ কৰিছিল।

(১) এয়ে নিষ্কাম ধৰ্ম্ম। ইয়াত অৰ্জ্জুনৰ নিস্পৃহতা ফটফটীয়াকৈ প্ৰকাশ পাইছে।—মহাভাৰত, সভাক্ৰিয়া পৰ্ব্বাধ্যায়, ১ম আধ্যা।

(২) ৰজাৰ ৰৰচ'ৰা,—য'ত ৰাজ্যৰ শাসনসংক্ৰান্ত কাৰ্য্যাদি পৰ্য্যালোচনা আৰু বিচাৰালয়ৰ কাৰ্য্য সম্পাদিত হয়। এই ৰাজ-চ'ৰাৰ পৰিসৰ শ্ৰীকৃষ্ণৰ দ্বাৰাই পাঁচ হাজাৰ হাত পৰিমাণে নিৰ্দ্ধাৰিত হয়।—মহাভাৰত, সভাপৰ্ব্ব, ১ম আধ্যা।

(৩) মহাভাৰত, সভাপৰ্ব্ব, ৩য় আধ্যা।

সংগৃহীত অমূল্য ৰত্নাদি লগোৱা হৈছিল।[১] গতিকে, কাৰু-চাৰু উভয়তে সেই ৰাজ-চ'ৰা অপূৰ্ব্ব আৰু অনুপম হৈছিল।

যুধিষ্ঠিৰৰ অদ্বিতীয় বৰচ'ৰা পৰিপাটিকৈ প্ৰতিষ্ঠিত হোৱাৰ পাচত, শ্ৰীকৃষ্ণক মাজত লৈ পাণ্ডৱসকলে পৰম আনন্দেৰে ওখ খাপৰ ৰাজনীতি যথাবিধি অনুশীলন কৰিবলৈ ধৰিলে। নিতানতুন ৰাজ-চ'ৰাত নিত্যে নতুন ৰাজধৰ্ম্ম পৰ্য্যালোচনা কৰি সিবিলাক উপকৃত হল। বিবিধ শাসন-প্ৰণালীৰ গুণাগুণ ব্যাখ্যা শ্ৰীকৃষ্ণৰ মুখে শুনি পাণ্ডৱসকলে শাসননীতিৰ আদৰ্শজ্ঞান লাভ কৰিলে। এইদৰে মাহদহেক পাণ্ডৱ ৰাজ-চ'ৰাত অসাধাৰণ ৰাজনৈতিক পণ্ডিতৰূপে জিলিকি থাকি, পিতৃচৰণ দৰ্শনৰ অভিলাষ জাগি উঠাত, পাণ্ডৱ-প্ৰাণ শ্ৰীকৃষ্ণ স্বৰাজ্য দ্বাৰকালৈ ওলটা-যাত্ৰাৰ নিমিত্তে সষ্টম হল।

খাণ্ডৱপ্ৰস্থৰপৰা বিদায় লোৱাৰ সময়ত, শ্ৰীকৃষ্ণদেৱে পোন-প্ৰথমে যুধিষ্ঠিৰক আমন্ত্ৰণ কৰি তেওঁৰ ওচৰত বিদায় ললে। তাৰ পাচত, বাসুদেৱে পেহীয়েক কুন্তীদেৱীৰ চৰণবন্দন কৰি তেওঁৰপৰা বিদায় গ্ৰহণ কৰিলে। তৃতীয়তে, দ্বাৰকেশ্বৰে ভনীয়েক সুভদ্ৰাদেৱীক দেখা দি অতি চমু, অথচ অৰ্থভৰা সুবচনেৰে বিদায় কালৰ আশীৰ্ব্বাদ আৰু উপদেশ দিলেগৈ। সুবচনী সুভদ্ৰায়ো তেওঁৰ মাতৃ-দেৱীলৈ জনাবলগীয়া মনৰ কথা জ্ঞাপন কৰি অগ্ৰজ শ্ৰীকৃষ্ণক অতি চেনেহৰ অভিবাদন কৰিলে। সুভদ্ৰাৰপৰা বিদায় লৈ বৃষ্ণিকুলতিলক বাসুদেৱে পাণ্ডৱপত্নী দ্ৰৌপদী দেৱীৰ ওচৰ চাপিলেগৈ, আৰু যথাযোগ্য সম্ভাষণ আৰু আমন্ত্ৰণ কৰি তেওঁৰপৰা বিদায় লৈ, কনিষ্ঠ চাৰিজনা পাণ্ডৱ ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱক প্ৰীতি-আলিঙ্গন দি, অৰ্জ্জুনেৰে সৈতে লগবান্ধি ৰাজসভাত উপবিষ্ট ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ সমীপত উপস্থিত হৈ তেওঁক অগ্ৰজপ্ৰতিম অভিবাদন কৰিলেগৈ। তাৰ পাচত, পঞ্চ-পাণ্ডৱৰ দ্বাৰাই পৰিবেষ্টিত হৈ, দেৱতামণ্ডিত অমৰাপুৰীৰ দেবেন্দ্ৰ সদৃশে যাদৱেন্দ্ৰ শ্ৰীকৃষ্ণদেৱ জিলিকি উঠিল। (২)

ৰাজসভাৰপৰা আহি বাসুদেৱে বিদায়কালৰ কৰ্ত্তব্য কৰিবৰ উদ্দেশে স্নান-আহ্নিকাদি দৈনন্দিন কাৰ্য্য সম্পন্ন কৰিলেহি। তাৰ পাচত, তেওঁ যথাবিধি সাজ-পাৰ কৰি উঠি মালাজপ, নমস্কাৰ আৰু বিবিধ গন্ধদ্ৰব্যেৰে সৈতে দ্বিজসকলৰ পূজা সমাপন কৰিলে। বিদায়কালৰ আনু-সঙ্গিক অন্যান্য সকলো ক্ৰিয়া-কৰ্ম্ম সমাধা কৰি, যাত্ৰাৰ খোজ লৈ শ্ৰীকৃষ্ণ বাহিৰ হোৱাত, স্বস্তিবাচক ব্ৰাহ্মণ-মণ্ডলীয়ে দধিপাত্ৰ, স্থলপুষ্প, অক্ষত প্ৰভৃতি মাঙ্গল্য অনুকৰণেৰে সৈতে তেওঁক বিদায় অভ্যৰ্থনা জনালেহি। বাসুদেৱে সিবিলাকক যথাবিধি দক্ষিণা দি সভক্তি আৰু সম্প্ৰীতিৰে প্ৰদক্ষিণ কৰিলে। তাৰ পাচত, অতি শুভ তিথি নক্ষত্ৰযুক্ত ক্ষণত গদা-চক্ৰ-অসি-শাৰ্ঙ্গাদি অস্ত্ৰ-শস্ত্ৰ লগোৱা গৰুড়কেতন বায়ুবেগগামী সোণালী ৰথত চৰি দ্বাৰকেশ্বৰে স্বৰাজ্যৰ অভিমুখে যাত্ৰা কৰিছে মাথোন, এনেতে অতিশয় স্নেহপৰবশ হৈ ধৰ্ম্মৰাজ যুধিষ্ঠিৰ আহি সেই ৰথত চৰি লৈ, সাৰথি দাৰুক এফলীয়াকৈ থৈ, স্বয়ং ৰথৰ বাঘজৰী ধৰি বহিলগৈ। অগ্ৰজক অনুসৰণ কৰি, কৃষ্ণপ্ৰাণ মহাৰথ অৰ্জ্জুনেও সেই ৰথত চৰি সুকোমল শ্বেত চামৰেৰে বিছি বিছি অভেদাত্মাৰ প্ৰেমভক্তিৰে প্ৰাণবন্ধু শ্ৰীকৃষ্ণক প্ৰদক্ষিণ কৰিলেগৈ। মহাবাহু ভীমসেন, নকুল, সহদেৱ ঋত্বিক্ আৰু পুৰোহিতসকলে লগে লগে শোভাযাত্ৰা কৰিলে। এইদৰে ধৰ্ম্মৰাজ যুধিষ্ঠিৰ প্ৰমুখ্যে পাণ্ডৱবৰ্গে অতি ভক্তিসহকাৰে অনুগামী হৈ আগবঢ়াই থবলৈ নিওঁতে, শিষ্যৰ অনুগত গুৰু সদৃশে যাদৱেশ্বৰ শ্ৰীকৃষ্ণ সুশোভিত হৈছিল। তাৰ পাচত, বাসুদেৱে প্ৰাণসখি অৰ্জ্জুনক আমন্ত্ৰণ আলিঙ্গন কৰি, অগ্ৰজৰত ধৰ্ম্ম-যুধিষ্ঠিৰ আৰু ভীম-

---

(১) পূৰ্ব্বকালত কৈলাসৰ উত্তৰভাগ মৈনাক পৰ্ব্বতৰ কাষত বিন্দু সৰোবৰৰ পাৰত দানৱ যজ্ঞানুষ্ঠানৰ উদ্দেশে ময় দানৱে যিবোৰ মণিময় দ্ৰব্যসম্ভাৰ সংগ্ৰহ কৰিছিল, সেই-বোৰো এই ৰাজ-চ'ৰা নিৰ্ম্মাণত লগাবলৈ আহৰণ কৰা হৈছিল। আৰু বিন্দু-সৰোবৰত দানৱ-ৰাজ বৃষপৰ্ব্বাৰ সোণখটোৱা যি সুদৃঢ় আৰু সুগঠিত মহত গদা নিহিত আছিল, সেই গদাও উদ্ধাৰ কৰি আনি ভীমসেনক সমৰ্পণ কৰা হয়।—মহাভাৰত, সভাপৰ্ব্ব, ৩য় আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, লোকপাল সভাখ্যান পৰ্ব্বাধ্যায়, ৫—৬ষ্ঠ আধ্যা।

সেনক পূজা, আৰু কনিষ্ঠপ্ৰতিম নকুল প্ৰাৰু সহদেৱক অভিবাদন কৰিলে। এইদৰে মহা আনন্দত আপোন-পাহৰা হৈ ওপঙি যোৱা দি গৈ গৈ অৰ্দ্ধযোজন পথ যোৱাৰ পাচত, শ্ৰীকৃষ্ণই যুধিষ্ঠিৰক আমন্ত্ৰণ কৰি, সিমানৰেপৰা উলটিবলৈ অনুৰোধ জনাই তেওঁৰ চৰণ স্পৰ্শ কৰিলে। ধৰ্ম্মৰাজ যুধিষ্ঠিৰে তেওঁৰ চৰণপতিত পতিতপাৱন কমল-লোচন কেশৱক সভক্তিৰে দাঙি ধৰি শিৰ-আঘ্ৰাণ কৰি গদ্‌গদ্‌ভাৱে 'যোৱাঁ, আহাঁগৈ' বুলি বিদায় দিলে। তাৰ পাচত, অতিশয় মৰ্ম্মস্পৰ্শী বিদায়ৰ আবেগেৰে পাণ্ডৱ বান্ধৱ-পৰা বিদায় লৈ বাসুদেৱে অমৰাৱতী অভিমুখী দেৱৰাজ সদৃশে দ্বাৰাৱতী অভিমুখে প্ৰত্যাগমন কৰিবলৈ ধৰিলে। পাণ্ডৱ-সকলে চকুৰে দেখালৈকে চকু-নপচৰাকৈ চাই চাই মনে-চিতে কৃষ্ণ-অনুগামী হৈয়ে ৰল;—তাৰ পাচত, যেতিয়া কৃষ্ণধন অদৃশ্য হল, তেতিয়া গধুৰ প্ৰাণেৰে সকলোটি ঘৰমুৱা হৈ উলটিল! সিফালে, সাৰথি দাৰুকে মহা বেগবান গৰুড়ৰ বেগেৰে কৃষ্ণৰথ ওলটা-যাত্ৰামুখে চলাবলৈ ধৰিলে। যথাসময়ত অনুগামী মহাবীৰ সাত্বত আৰু সাৰথি দাৰুকৰে সৈতে পৰমানন্দ মাধৱে দ্বাৰাৱতীত প্ৰৱেশ কৰিলেগৈ। বাসুদেৱৰ পুনৰাগমনত অতি হৰষিত হৈ বৃদ্ধৰাজ উগ্ৰসেন প্ৰমুখ্যে ঘাই ঘাই যাদৱ পৰিয়ালৰ মুখিয়াল কুটুম্ববৰ্গে আগবাঢ়িগৈ শ্ৰীকৃষ্ণদেৱক অভ্যৰ্থনা কৰিলেগৈ। সিবিলাকৰ অভ্যৰ্থনাৰ পাচত, যথাসন্মানেৰে পূজ্যজনক অভিবাদন কৰি, যাদৱৰায়ে অন্তঃপুৰলৈ প্ৰৱেশ কৰিলে। বাসুদেৱে পোন্-প্ৰথমেই বৃদ্ধ পিতৃ-মাতৃৰ চৰণত সেৱা-সৎকাৰ কৰি লৈ, বৃদ্ধ কুটুম্ব আহুক আৰু অগ্ৰজ বলভদ্ৰক অভিবাদন কৰিলেগৈ। তাৰ পাচত, মাধৱে প্ৰদ্যুম্ন, শাম্ব, নিশঠ, গদ, চাৰুদেষ্ণ অনিৰুদ্ধ আৰু ভানুক আলিঙ্গন কৰি উঠি সমবেত যাদৱ সকলোৰেপৰা অনুমতি লৈ, প্ৰিয়তমা পত্নী ৰুক্মিণীদেৱীৰ কক্ষত প্ৰৱেশ কৰিলে গৈ।[১]

সপ্তদশ আধ্যা

যুধিষ্ঠিৰৰ ৰাজসূয়যজ্ঞৰ প্ৰস্তাৱনা

ময় দানৱৰ দ্বাৰাই নিৰ্ম্মিত যুধিষ্ঠিৰৰ নিৰুপম ৰৰচ'ৰাই আৰ্য্যাবৰ্ত্তৰ ৰাজন্যবৰ্গৰ মন-চিত্ত বৰকৈ আকৰ্ষণ কৰিবলৈ ধৰিলে। ইফালে, তাৰ যথাযোগ্য গৌৰৱ আৰু খ্যাতি বঢ়াবৰ উদ্দেশ্যে চাৰি-পাণ্ডৱে, বিশেষকৈ অৰ্জ্জুনে, নানা ফালে দিগ্বিজয় আৰম্ভ কৰি দিলে; মগধৰাজ জৰাসন্ধ আৰু পাঞ্চালৰাজ দ্ৰুপদত বাজে প্ৰায় আটাইবিলাক ৰজাই যুধিষ্ঠিৰৰ ওলগনি লবলৈ বাধ্য হ'ল। তাৰ ফলস্বৰূপে পাণ্ডৱ-নগৰ ইন্দ্ৰপ্ৰস্থৰ গৌৰৱ আৰু ক্ষমতা দোপত্-দোপে চৰি আহিল। এনে কি, নিচেই অলপ দিনৰ ভিতৰতে নতুন নগৰ ইন্দ্ৰপ্ৰস্থ পুৰণি হস্তিনাপুৰক চেৰ পেলাই উঠিল।[২]

পাণ্ডৱৰ প্ৰাণত বাহিৰৰ খ্যাতি বিস্তাৰৰ লগে লগে, ভিতৰি আত্মক্ষমতা প্ৰবল কৰাৰ কামনা বাঢ়ি উঠিল। সেই অৰ্থে ধৰ্ম্ম-যুধিষ্ঠিৰৰ চাৰি ভাই, আত্মীয়-কুটুম্ব, বন্ধু-বান্ধৱ আৰু গুণগ্ৰাহী সকলোৱে তেওঁক ৰাজসূয়-যজ্ঞ পাতিবলৈ পৰামৰ্শ দিলে। অকল পৰামৰ্শই নহয়, তেওঁৰ জ্ঞাতিবৰ্গে তদৰ্থে তেওঁক বিশেষকৈ অনুৰোধ কৰিবলৈ ধৰিলে। সদৌ-শেষত, যুধিষ্ঠিৰে সিবিলাকক এই সমিধান দিলে যে, ৰাজসূয়-যজ্ঞ এটা অসাধাৰণ অনুষ্ঠান। তেনেকুৱা মহা-যজ্ঞৰ নিমিত্তে তেওঁ যোগ্য হৈছে নে নাই, সেই বিষয়ত তেওঁৰ ঘোৰ সন্দেহ ৰৈছে; আৰু সেই সন্দেহ শ্ৰীকৃষ্ণদেৱত বাজে আনে ভঞ্জন কৰা সম্ভৱপৰ নহয়। কিয়নো, সেই সময়ৰ ৰাজনৈতিক জ্ঞানত, তেওঁৰ মনেৰে, শ্ৰীকৃষ্ণৰ সমতুল্য আন কেও নাছিল, আৰু সেই বিষয়ত তেওঁৰ সমান অভিজ্ঞতাও আন কাৰো নাছিল। তাৰোপৰি, শ্ৰীকৃষ্ণ সততে সত্যপ্ৰিয়; প্ৰিয়জনক ভাল লগাবৰ মনেৰে তেওঁ কাচিতো অযথা পৰামৰ্শ নিদিয়ে। সত্যাই কৃষ্ণ-ধৰ্ম্ম;—গতিকে, য'তে কৃষ্ণ, ত'তে ধৰ্ম্ম; য'তে ধৰ্ম্ম, ত'তে জয়ঃ। সেইহেতুকে, শ্ৰীকৃষ্ণৰ মতামত নোপোৱাকৈ ধৰ্ম্ম-যুধিষ্ঠিৰে

(১) মহাভাৰত, সভাপৰ্ব্ব, লোকপাল প্ৰত্যাখ্যান পৰ্ব্বাধ্যায়, ৭ম আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়াৰম্ভ পৰ্ব্বাধ্যায় ১২—১৮ আধ্যা।

ৰাজসূয়-যজ্ঞ বিষয়ক প্ৰস্তাৱনাত মত দিবলৈ অমান্তি হল।

ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ ধীৰ সিদ্ধান্তত তেওঁৰ গুণগ্ৰাহী-সকল, বিশেষকৈ কনিষ্ঠ চাৰি-পাণ্ডৱৰ মনতুষ্টি নহল। অগ্ৰজৰ সিদ্ধান্ত অগ্ৰাহ্য কৰিবলৈ অসমৰ্থ যদিও, সেই কথাত গদাবীৰ ভীমসেনে হতাশত হুঙ্কাৰ ছাৰি উঠিল; ধনুৰ্দ্ধৰ অৰ্জ্জুনে মনাগুনত জ্বলি-পুৰি আস্ফালন কৰিবলৈ ধৰিলে; নকুল-সহদেৱে অতৃপ্তিত উচ্‌পিচনি লগালে। শেহান্তৰত, অগত্যা দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণলৈ ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ নিমন্ত্ৰণী পত্ৰৰে সৈতে বেগাবেগিকৈ দ্বাৰকালৈ দূত পঠিওৱা হল। অগ্ৰজতুল্য প্ৰথম পাণ্ডৱৰ অনুৰোধ ৰক্ষাৰ্থে যথা-সময়ত শ্ৰীকৃষ্ণ ইন্দ্ৰপ্ৰস্থত উপনীত হলহি।[১]

শ্ৰীকৃষ্ণদেৱৰ আগমনত ধৰ্ম্মৰাজ যুধিষ্ঠিৰ সুস্থিৰ হল। তাৰ পাচত, বাসুদেৱত ধৰ্ম্ম-যুধিষ্ঠিৰে এইবুলি আৰম্ভণতে সুধিলে;—"হে কৃষ্ণ! মোৰ চাৰি-ভাই, আত্মীয়-কুটুম্ব আৰু বন্ধু-বান্ধৱে মোক ৰাজসূয়-যজ্ঞৰ অনুষ্ঠান কৰিবলৈ পৰামৰ্শ দিছে। কিন্তু, ইচ্ছা কৰিলেই তেনে মহাযজ্ঞ সম্পন্ন হৈ নুঠে। তাক সম্পাদন কৰিবলৈ কি উপায়-যুগুতি কৰাৰ প্ৰয়োজন সেই বিষয়ে তোমাৰ বহুল জ্ঞান আছে। গমি চাবা, যি জনত সকলো সম্ভৱ, যাক সৰ্ব্ব-জনে সন্মান কৰে, যি ভূ-ভাগৰ অধীশ্বৰ, সেইজনৰ পক্ষে হে এনে মহৎ অনুষ্ঠান শোভনীয়। কিন্তু, মই তদৰ্থে যোগ্য হৈছোঁ নে নাই সঠিককৈ কব পৰা নাই এথোন; গতিকে, মই তোমাৰ পৰামৰ্শ নোপোৱাকৈ সেই বিষয়ত মতামত দিয়া নাই, আৰু নিদিওঁ। কিয়নো, কোনোৱে বন্ধুতা হেতুকে দোষাদোষ ভাঙ্গি নকব পাৰে, কোনোৱে স্বাৰ্থসিদ্ধিৰ উদ্দেশেও প্ৰিয়বাক্য কব পাৰে, কোনোৱে বা নিজৰ উপকাৰৰ অৰ্থেও আনক উৎসাহ দিব পাৰে। তেনেবিলাক স্বাৰ্থবান লোকৰ উদগনিত সহসা মহৎ অনুষ্ঠানত হাত দিয়া অযুগুত! কিন্তু, হে কৃষ্ণ! তুমি সেই শ্ৰেণীৰ লোক নহয়, তোমাত কাম-ক্ৰোধ-লোভ-মোহ-মদ-মাৎসৰ্য্য দোষ সমূলি একো নাই। এতেকে, এই বিষয়ত তুমি মোক সু-পৰামৰ্শ দিয়া।"

মহাৰাজ যুধিষ্ঠিৰৰ অনুৰোধ মন পাৰি শুনি উঠি, শ্ৰীকৃষ্ণদেৱে এই বুলি সমিচাৰ দিলে, "হে ভৰতকুলতিলক! ৰাজসূয়-যজ্ঞ পাতিবলৈ মোৰ মনেৰেও আপুনি নিশ্চয় উপযুক্ত পাত্ৰ।[২] কিন্তু মোৰ বোধেৰে মগধৰাজ জৰাসন্ধ জীয়াই থাকেমানে আপোনাৰ পক্ষে সেই মহৎ অনুষ্ঠান সম্পাদন কৰা সম্ভৱপৰ নহয়। তেওঁ যে আপোনাৰ যজ্ঞত ঘোৰ বিঘ্ন জন্মাবহি তাত ধনিষ্ঠামানো সন্দেহ নাই। আন কি, সেই আপাহতে তেওঁ আপোনাক আক্ৰমণ কৰি ৰাজ্যচ্যুত কৰাটোও অসম্ভৱ নহয়। কিয়নো, বৰ্ত্তমান আৰ্য্যাবৰ্ত্তত তেওঁ আটাইতকৈ প্ৰবল আৰু প্ৰতাপী ৰজা। ন্যায্য কথা কবলৈ গলে, তেওঁৱেই হে সম্ৰাট খিতাপৰ উপযোগী, আৰু তেওঁৱেই হে ৰাজসূয়-যজ্ঞ পাতিবৰ উপযুক্ত পাত্ৰ। সেই আশা আৰু সেই উদ্দেশ্য তেওঁৰ মনত ইতিপূৰ্ব্বেৰেপৰা সজাগ হৈছে। সেই উদ্দেশ্যেই জৰাসন্ধই আৰ্য্যাবৰ্ত্তৰ আটাইবিলাক ৰজাক নিজৰ বশলৈ অনাৰ চেষ্টাত আছে। যিবিলাক তেওঁত শৰণাপন্ন হবলৈ অমান্তি হৈছে, সেইবিলাকক ধৰাই নি তেওঁ গিৰিব্ৰজ নামে ৰাজধানীত বন্দী কৰি ৰাখিছে।[১] অচিৰে সেই দুৰ্ভগীয়া ৰজাসকলক মহাদেৱৰ মঠত বলি দিবলৈ স্থিৰ কৰা হৈছে; মাথোন চতুৰ্দ্দশ জনক আনি বন্দী কৰালে বাট চোৱা গৈছে। এনে স্থলত, আপুনি সুযোগ্য পাত্ৰ হলেও, ৰাজসূয়-যজ্ঞ পাতিবলৈ আপোনাক জৰাসন্ধই সহজে এৰি নিদিব। গতিকে, নিতান্তই যদি সেই প্ৰাপ্য সন্মান আপুনি লাভ কৰিব-লাগে, তেন্তে আগধৰি আপুনি সেই মহা অত্যাচাৰী, অখণ্ডপ্ৰতাপী, অধৰমী ৰজা জৰাসন্ধক বধ কৰিবলৈ উপায় কৰক। আৰু, তেওঁক বধিব পাৰিলে আপোনাৰ দুহতীয়া লাভ হব;—এহাতে পুণ্য আৰ্জ্জন,

(১) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়াৰম্ভ পৰ্ব্বাধ্যায়, ১২শ আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়াৰম্ভ পৰ্ব্বাধ্যায়, ১৩শ আধ্যা।

(১) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়াৰম্ভ পৰ্ব্বাধ্যায়, ১৩শ আধ্যা।

আনহাতে ক্ষমতা বৰ্দ্ধন। তেতিয়া হ'লে, বন্দীকৃত সেই ৰজাসকল মুক্ত হৈ অযাচিতে আপোনাৰ শৰণীয়া হব; আৰু সেয়ে হলেই, আপুনি সম্ৰাট খিতাপ লৈ ৰাজসূয়-যজ্ঞ অনায়াসে পাতিব পাৰিব।"

ধৰ্ম্মৰাজ যুধিষ্ঠিৰে যেনে ভাবিছিলে, শ্ৰীকৃষ্ণদেৱে ঠিক তেনে পৰামৰ্শকে দিলেহি। বাস্তৱতে, বাসুদেৱত বাজে ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ আগত উল্লিখিত অপ্ৰিয়-সত্য কথা কওঁতা আন কোনো ওলাবৰ সম্ভাবনা নাছিল। সেই পৰামৰ্শ অন্তৰে সৈতে মানি লৈ, মহাৰাজ যুধিষ্ঠিৰে পুনৰপি এই বুলি বাসুদেৱক সম্বোধন কৰি কলে, "হে কৃষ্ণ! মই জানোঁ, তোমাত বাজে মোক এনে সজ আৰু সত্য পৰামৰ্শ দিওঁতা যথাৰ্থতে এই জগতত দ্বিতীয় জন নাই। কিন্তু, সেই মহাপ্ৰতাপী মগধাধিপতি জৰাসন্ধক বধ কৰা হে নালাগে, বশ কৰাও আমাৰ নিচিনা ৰজাৰ পক্ষে সম্ভৱপৰ নেদেখোঁচোন। যাৰ প্ৰতাপত আজি সদৌ আৰ্য্যাবৰ্ত্ত কম্পমান, যাৰ বাহুবলত আৰ্য্যাবৰ্ত্তৰ প্ৰায় আটাইবিলাক ৰজা পৰাভূত, যাৰ আক্ৰমণত ঠাৰৰিব নোৱাৰি মহাতেজস্বী যাদৱসকল মথুৰা পৰিহৰি দ্বাৰকাত খিতাপিত হৈছেগৈ, সেই অসীম ক্ষমতাশালী জৰাসন্ধক বধ কৰা মোৰ পক্ষে কদাপি সম্ভৱপৰ নহয়।"

শ্ৰীকৃষ্ণদেৱৰ উপদেশ অনুসৰি, ৰাজসূয়-যজ্ঞৰ অনুষ্ঠানৰ আগেয়ে জৰাসন্ধ-বধৰ উপায় বিধানৰ অৰ্থে যথাসময়ত ইন্দ্ৰপ্ৰস্থ ৰাজসভাত আলোচনা আৰম্ভ হল। ভীমসেনৰ মতে, ততালিকে যুদ্ধঘোষণা হবই লাগে; জৰাসন্ধৰ অসীম ক্ষমতালৈ অৰ্জ্জুন লেশমাত্ৰও নডৰায়; নকুল আৰু সহদেৱৰ প্ৰবল আগ্ৰহ যে, সেই ছেগতে প্ৰখ্যাত বীৰ জৰাসন্ধৰ বিৰুদ্ধে যাত্ৰা কৰি আত্মবলৰ পৰিচয় দিয়ে। সভাসদ্, পাৰিষদ, সেনানায়কসকলেও অচিৰে মগধ আক্ৰমণ কৰিবলৈ উলাহেৰে মত দিলে। গতিকে, ৰাজ-সভাৰ সিদ্ধান্তমতে জৰাসন্ধৰ বিৰুদ্ধে ৰণযাত্ৰা কৰাটোৱেই স্থিৰ হল। কিন্তু, শ্ৰীকৃষ্ণদেৱৰ মতেৰে, সেই সিদ্ধান্ত সম্পূৰ্ণকৈ নিমিলিল। তেওঁ অতি বিনীতভাৱে ৰাজ-সভালৈ পুনৰপি এই বুলি পৰামৰ্শ আগ বঢ়ালে, "হে মনস্বীসকল! আগ সুগুণাকৈ কোনো কাৰ্য্যালৈ আগ-বঢ়াটো অভিজ্ঞলোকৰ কাৰ্য্য নহয়। আপোনাসকলে প্ৰস্তাবিত ৰণৰ ভাবী ফলাফল এবাৰ দকৈ গমি চাওক। হে ধৰ্ম্মৰাজ! আপুনিও এবাৰ গভীৰকৈ চিন্তা কৰি চাওক। আপোনাৰ যি সৈন্যবল হাতত আছে, তাৰে সৈতে প্ৰকাশ্য যুদ্ধত জৰাসন্ধক ঘটুৱাব পৰাটো অসম্ভৱ। তেওঁৰ বিৰাট সৈন্যবলে আপোনাৰ তাকৰীয়া সৈন্যবলক সিংহই মেৰা মোহৰাদি মোহাৰি পেলাব! তাৰপৰা অলেখ নিৰ্দ্দোষী নৰৰ ৰক্তপাত হব মাথোন, লাভ একো নহব। জৰাসন্ধকৃত পাপৰ প্ৰায়শ্চিত্তৰ বাবে, কিম্বা আপোনাৰ ইষ্টসিদ্ধিৰ হেতুকে অগণন নৰহত্যা হোৱাটো কেতিয়াও উচিত নহয়। ইয়াৰ দ্বাৰাই পাপ সঞ্চয় কৰা হব মাথোন। অথচ, পুণ্য আৰ্জ্জিবলৈ হলেও মানুহে পাপ কৰা অনুচিত।"[১]

শ্ৰীকৃষ্ণৰ যুক্তি শুনি ৰাজসভা নিস্তব্ধ হল। কিন্তু, তৃতীয় পাণ্ডৱ ধনুৰ্ব্বীৰ অৰ্জ্জুনে অগ্ৰজ যুধিষ্ঠিৰৰ প্ৰতি অতি ভক্তিভাৱে এই বুলি সম্বোধন কৰিলে,—"হে ধৰ্ম্মৰাজ! ক্ষত্ৰিয় সন্তান বীৰ নাম লৈ বীৰৰ সমুখ হবলৈ বিমুখ হোৱা নিতান্ত অযুগুত। তাৰোপৰি, আমি যদি যজ্ঞ কৰাৰ উপলক্ষে জৰাসন্ধক বিনাশ কৰি, তেওঁৰ বন্দীশালৰ-পৰা অন্যান্য ভূপতিগণক উদ্ধাৰ কৰিব পাৰোঁ, তেন্তে তাতকৈ উৎকৃষ্ট পুণ্যকৰ্ম্ম আৰু কি হব পাৰে! এতেকে, অনুমতি দিয়ক, আমি অনতিপলমে গৈ মহা অত্যাচাৰী ৰজা জৰাসন্ধক বধ কৰি অভগন পুণ্য সঞ্চয় কৰি আহোঁগৈ।" তাৰ পাচত, ক্ষন্তেক নিটাল মাৰি ৰৈ, মহাৰাজ যুধিষ্ঠিৰে বাসুদেৱৰ প্ৰতি পুনঃ এই বুলি প্ৰশ্ন কৰিলে, "তেন্তে নো উপায় কি? তুমিচোন বাধ হৈও মাৰোঁ, বৈদ্য হৈও চোৰোঁ!" শ্ৰীকৃষ্ণদেৱে ধীৰ আৰু নম্ৰভাৱে এই বুলি সমিধাৰ দিলে, "উপায় অৱশ্যে হব। আপুনি মাথোন ভীম আৰু অৰ্জ্জুনক মোৰ লগত দিয়ক; মই জৰাসন্ধক তেওঁৰ কাৰেঙতে গৈ বধ কৰি আহি

(১) এয়ে কৃষ্ণধৰ্ম্মৰ তত্বপন্থা উপদেশ।

আপোনাক নিষ্কণ্টক কৰি দিওঁ।" সেই কথাত আচৰিত হৈ যুধিষ্ঠিৰে অতি কাতৰভাৱে এই বুলি কবলৈ ধৰিলে, "ই কি কথা! যি জৰাসন্ধক জোকাবলৈ মোৰ সমস্ত সৈন্যবলেৰেও আগ বঢ়া অনুচিত বুলি তুমিয়েই উপদেশ দিছা, তেনেস্থলত তোমালোক তিনিজনে অকলে গৈ সেই অসাধ্য সাধি আহিবাগৈ বোলাত মই বিস্ময় মানিছোঁ। হে কৃষ্ণ! মোৰ সামান্য স্বাৰ্থ সিদ্ধিৰ অৰ্থে মই তোমালোক হেন তিনিজন প্ৰাণপ্ৰতিম প্ৰিয়জনক হেৰুৱাব পাৰোঁ নে? ভীম আৰু অৰ্জ্জুন মোৰ দুই-চকু; তুমি মোৰ মন স্বৰূপ। এতেকে, তোমালোকক যুঁজলৈ অকলশৰে পঠিয়াই মনোহীন আৰু চকুহীন হৈ মই কেনেকৈ প্ৰাণ ধৰিম?"[1]

করুণহৃদয় ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ কাতৰুক্তি বেথা লাগি শ্ৰীকৃষ্ণই ততালিকে এই বুলি জৰাসন্ধবধৰ যুক্তি ব্যাখ্যান কৰিলে, "হে ধৰ্ম্মাত্মা! ভৰতবংশত জাত আৰু কুন্তীৰ গৰ্ভত সম্ভূত পুৰুষৰ যেনে জ্ঞান-বুদ্ধি হোৱা উচিত, মহানুভৱ অৰ্জ্জুনত সি সম্পূৰ্ণে লক্ষিত হৈছে; আপুনি অৰ্জ্জুনৰ বিক্ৰমত লেশমানো সন্দিহান নহব। আৰু, যি স্থলত যুদ্ধ নকৰাকৈ থকাৰ বাবেই কোনো মানৱ অমৰ হোৱা কথা আমি শুনা নাই, সেই স্থলত প্ৰাণৰ মমতাত যুঁজলৈ বিমুখ হোৱা পুৰুষোচিত কাৰ্য্য হব নোৱাৰে। দুৰাত্মা জৰাসন্ধই অন্যায়কৈ সৰ্ব্বোপৰি শ্ৰেষ্ঠ হৈ অকলশৰে ৰাজলক্ষ্মী উপভোগ কৰিছে; সেইটো মোৰ বোধেৰে নীতিবিগৰ্হিত কথা, গতিকে মই তেওঁক নিধন কৰিবলৈ লক্ষ্য ৰাখিছোঁ। অৱশ্যে, বুদ্ধিমান নীতিজ্ঞলোকৰ মতে, যি বহু সৈন্যৰ গৰাকী আৰু অতুল বলৱন্ত তাৰ লগত যুদ্ধ কৰা বাঞ্ছনীয় নহয়; সেইটো মোৰো মত। সেই কাৰণে, আমি গোপনে সেই দুৰ্জ্জয় শত্ৰুৰ কাষেঙ্গত প্ৰৱেশ কৰি তেওঁক বিনাশ কৰিবলৈ সংকল্প কৰিছোঁ[2]। এতেকে, আপুনি মনলৈ আশঙ্কা নানিব। আমাৰ কোনো বিঘ্ন নঘটাকৈ আমি অতি উজু উপায়েৰে জৰাসন্ধৰ প্ৰাণ লৈ, ঘূৰি আহি আপোনাৰ আগত উপস্থিত হমহি। আপুনি ক্ষত্ৰিয় ৰীতি-নীতি-জ্ঞানত সুপণ্ডিত। আপুনি জানে, বিধাতাই ক্ষত্ৰিয়ৰ বাহুতেই সৰ্ব্ববল অৰ্পণ কৰিছে। গতিকে, প্ৰকৃত বীৰ বাহুযুদ্ধলৈ কেতিয়াও বিমুখ হব নোৱাৰে। জৰাসন্ধ এজন প্ৰখ্যাত বীৰ। তেওঁৰ ওচৰলৈ গৈ দ্বৈৰথ যুদ্ধ[3] যাজ্ঞা কৰিলে তেওঁ কেতিয়াও অগ্ৰাহ্য নকৰে। আমি তিনিয়ে মগধৰ ৰাজধানী গিৰিব্ৰজলৈ গৈ জৰাসন্ধৰ ওচৰত দ্বৈৰথ যুদ্ধ যাজ্ঞা কৰিমগৈ। আপুনি নিশ্চিন্ত থাকিব, সেই যুদ্ধলৈ আমি তিনিৰ যাকে জৰাসন্ধই মনোনীত কৰে, তাৰে হাতত তেওঁৰ পতন নিশ্চয়। আপোনাৰ অবিদিত নহয় যে, মই নীতিজ্ঞ, ভীমসেন বলবান্ আৰু অৰ্জ্জুন আমাৰ ৰক্ষিতা; যেনেকৈ তিনি অগ্নিয়ে একত্ৰে যজ্ঞ সম্পন্ন কৰে, তেনেকৈ আমি তিনিজনে একত্ৰ হৈ জৰাসন্ধৰ বধসাধন কৰিমগৈ, আপুনি ধুকপ্ মানিব। এতেকে, আপুনি যদি মোৰ হৃদয়জ্ঞ হয়, আৰু যদি মোৰ প্ৰতি আপোনাৰ আস্থা পূৰ্ণ থাকে, তেন্তে ভীমাৰ্জ্জুনক ন্যাস স্বৰূপে মোৰ হাতত অনতিপলমে সমৰ্পণ কৰোক।"[5] বাসুদেৱৰ লগে লগে ভীমাৰ্জ্জুনেও উজান দিবলৈ ধৰিলে, আৰু বিস্তৰ বুজনিৰ ফলত যুধিষ্ঠিৰ শ্ৰীকৃষ্ণৰ প্ৰস্তাৱত অগত্যা মান্তি হলগৈ। যথাসময়ত স্নাতক বামুণৰ বেশেৰে[4] কৃষ্ণ, ভীম আৰু অৰ্জ্জুন গিৰিব্ৰজমুখে অগ্ৰসৰ হল।

---

(১) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়াৰম্ভ পৰ্ব্বাধ্যায়, ১৫শ আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়াৰম্ভ পৰ্ব্বাধ্যায়, ১৬শ আধ্যা।

(৩) দুজন সমনীয়া বীৰৰ মাজত লগা দুটীয়া যুঁজক দ্বৈৰথ যুদ্ধ বোলা যায়। এই যুদ্ধলৈ দুজনৰ ভিতৰত এজনে আনজনক আহ্বান কৰে, আৰু ক্ষত্ৰিয় ধৰ্ম্মমতে সেই আহ্বান গ্ৰহণ কৰিবলৈ অপৰজন বাধ্য।

(৪) মহাভাৰত, সভাপৰ্ব্ব, জৰাসন্ধবধ পৰ্ব্বাধ্যায়, ১৯শ আধ্যা।

(৫) ন্যায়ধৰ্ম্ম পালন কৰোঁতা আদৰ্শ পুৰুষ শ্ৰীকৃষ্ণই ছদ্মবেশ ধৰি যাত্ৰা কৰাত অনেকৰ মনত অৱশ্যে কৌতূহল উপস্থিত হোৱাৰ কথা। কিন্তু, সেই কাৰ্য্য বাসুদেৱে অন্যায়-অধৰ্ম্মৰ উদ্দেশে কৰা নাছিল, মাথোন যাত্ৰা সুগম কৰাৰ অভিপ্ৰায়ে হে সেই উপায় অৱলম্বন কৰিছিল। কিয়নো, প্ৰকাশ্যে জৰাসন্ধবধ উদ্দেশ্যে ভীমাৰ্জ্জুন সমন্বিতে

অষ্টাদশ আধ্যা

কৃষ্ণ-জৰাসন্ধ সংবাদ *

ইন্দ্ৰপ্ৰস্থৰপৰা অচিনাকিৰূপে বাজ হৈ স্নাতক বামুণৰ বেশেৰে পদব্ৰজে বহু দেশ-প্ৰদেশৰ মাজেদি গৈ গৈ শ্ৰীকৃষ্ণ, ভীম আৰু অৰ্জ্জুন মগধ ৰাজধানী গিৰিব্ৰজ পালেগৈ।[১] সেই নগৰৰ অৱস্থিতি অতি বিতোপন স্বাভাৱিক ছাবেৰে প্ৰতিষ্ঠিত। বৈহাৰ, বৰাহ, বৃষভ, ঋষিগিৰি আৰু চৈতক নামে পঞ্চ-পৰ্ব্বত-গড়েৰে ই সুৰক্ষিত।[২] নগৰৰ ভিতৰলৈ সোমাবলৈ যি সিংহদুৱাৰ আছিল, সেই দুৱাৰেদি প্ৰৱেশ কৰা মাত্ৰকে তাত সন্নিবিষ্ট ডবা-ঘণ্টাদি আপুনি বাজি উঠে, হিলৈ-বৰতোপ আচম্বিতে ফুটিবলৈ ধৰে, শিঙা-শঙ্খৰ ৰোলে অযাচিতে জাননী দিয়ে। সেই জাননীৰ সুৰ দুবিধ ;—মিত্ৰৰ আগমনত মঙ্গলসূচক, আৰু শত্ৰুৰ প্ৰবেশত আপদসূচক।

দয়াময় শ্ৰীকৃষ্ণ নৰ-ৰক্তপাতৰ বিৰোধী। মহৎ উদ্দেশ্য সাধনত যাতে ৰক্তপাত নহয়, তেওঁ পাৰ্য্যমানে তাৰ চেষ্টাত থাকে। সেই অৰ্থেই তেওঁৰ কাৰ্য্য-কৌশলো প্ৰকীয়া। প্ৰতাপী পাণ্ডৱ কৌৰৱ ভীমাৰ্জ্জুনক লগত লৈ জনাজাতকৈ জৰাসন্ধৰ বিৰুদ্ধে যাত্ৰা কৰিলে সৈন্যসামন্তৰ আয়োজন হ'ব লাগিব, ইন্দ্ৰপ্ৰস্থৰপৰা মগধলৈ যাত্ৰাকালত ভালেমান মিত্ৰ আৰু শৰণীয়া ৰাজেও যোগ দিব, আৰু সেয়ে হলে তুমুল সংগ্ৰাম বাজি উঠিব,—তাৰ ফলত অনৰ্থক ৰণত নৰ-ৰক্তপাত অনিবাৰ্য্য হব। সেই কাৰণেই ভীমাৰ্জ্জুনৰে সৈতে শ্ৰীকৃষ্ণই স্নাতক ব্ৰাহ্মণৰ বেশেৰে মগধ-যাত্ৰা কৰিলে।

ৰাজদুৱা ৰাজদুৱাৰেদি শত্ৰু প্ৰৱেশ কৰিলে স্বতঃ জাননী বাজি উঠিব ; শত্ৰুৰ গতিৰোধৰ অৰ্থে ৰাজসেনাদল সম্মুখীন হবহি। গতিকে, ৰক্তপাত অনিবাৰ্য্য হব। বিশেষতঃ অকল জৰাসন্ধক বধ কৰাটোহে শ্ৰীকৃষ্ণৰ উদ্দেশ্য; সেই উদ্দেশ্যেই তেওঁ জৰাসন্ধৰ লগত গোপনে দ্বৈৰথ যুদ্ধ দিবলৈ

মগধ ৰাজধানী গিৰিব্ৰজ অভিমুখে শ্ৰীকৃষ্ণৰ যাত্ৰাই স্বৰাজ্য আৰু পৰৰাজ্যত তোলপাৰ লগাই দিলেহঁতেন, আৰু তাৰ অৱশ্যম্ভাৱী ফল এখন মহাৰণ লাগি উঠিলহঁতেন। গতিকে, পাৰ্য্যমানে নৰৰক্তপাতহেন নিঠুৰ কাৰ্য্যৰপৰা অব্যাহতি ইচ্ছুক করুণাময় ভগৱান শ্ৰীকৃষ্ণই অকলে, কেৱল ভীমাৰ্জ্জুনক মাথোন লগত লৈ, জৰাসন্ধৰ ৰাজধানীৰ ভিতৰ সোমাই দ্বৈৰথ ন্যায়যুদ্ধ দিবলৈ স্নাতক ব্ৰাহ্মণৰ বেশেৰে সেই যাত্ৰালৈ অগ্ৰসৰ হৈছিল।

* জৰাসন্ধৰ জন্ম-উপাখ্যান অদ্ভুত ধৰণৰ। অতীজত মগধ ৰাজ্যত বৃহদ্ৰথ নামে এজন প্ৰৱলপ্ৰতাপী ৰজা আছিল। তেওঁ তিনি অক্ষৌহিণী সেনাৰ গৰাকী, অতুলবলবিক্ৰম-শালী, সমৰদৰ্পিতা, ৰূপবান, ধনবান, নিত্যদীক্ষিত পুৰন্দৰ সদৃশ্ মহাপ্ৰতাপী সম্ৰাট। এই সম্ৰাট তেজত সূৰ্য্যসেন, ক্ষমাত পৃথিবীযেন, ক্ৰোধত যমযেন, ঐশ্বৰ্য্যত কুবেৰ যেন। কিন্তু, তথাপিতো তেওঁৰ প্ৰাণত শান্তি নাই, মনত সুখ নাই ; কিয়নো তেওঁ নিঃসন্তান। সেই কাৰণে, শেহান্তৰত তেওঁ ৰাজ্যত্যাগী হৈ সপত্নীক বনচাৰী হলগৈ। পিচে, বহুকাল সেইভাৱে কঠোৰ জীৱন যাপন কৰাৰ পাচত, এদিন তেওঁ কাক্ষীবান গৌতমৰ পুত্ৰ তপস্যামগ্ন চণ্ডকৌশিক মুনিৰ কাষ চাপিলগৈ। তপঃসিদ্ধ মুনিয়ে বৃহদ্ৰথৰ আন্তৰিক বেদনা বুজি উঠি, তেওঁক পুত্ৰ লাভৰ উপায় দান দিলে। মুনিয়ে তপস্যাযুত হৈ বৃহদ্ৰথক এটি আম-ফল দি এই বুলি বৰ দিলে, "ৰজাদেও! এই ফল ভক্ষণ কৰাৰ ফলত তোমাৰ পত্নীয়ে পুত্ৰ প্ৰসৱ কৰিব।" বৃহদ্ৰথ ৰজাই সেই মতে আম-ফলটি তেওঁৰ পত্নীদ্বয়ক গ্ৰহণ কৰিবলৈ দি, উভটি ৰাজ্যভাৰ গ্ৰহণ কৰিলেহি। যথাসময়ত একেদিনাই পত্নীদ্বয়ে সন্তান প্ৰসৱ কৰিলে। কিন্তু, সন্তান অদ্ভুত ধৰণৰ,—অৰ্দ্ধ মানৱ ;—প্ৰত্যেকৰ এফাল মূৰ, এখন কাণ, এচিটা মুখ, অৰ্দ্ধকণ্ঠ, অৰ্দ্ধউদৰ, এটা ভৰি! প্ৰসূতীদ্বয়ে ভয় খাই সেই সন্তান দুফাল জৰা নামে লিগিৰীৰ দ্বাৰাই নিলগ কৰালে ; কিন্তু জৰাই দলিয়াই পেলাবলৈ দুই অৰ্দ্ধাঙ্গ জপাই ধৰি নিওঁতে দুয়ো জোৰা লাগি এটি সুশ্ৰী দিব্য সন্তান গঢ়িত হল। জৰাই যতন কৰি সন্তানটি আনি ৰজাৰ আগত দি ঘটনাৰ আদ্যোপান্ত ভাঙ্গি কলেহি। অপুত্ৰক বৃহদ্ৰথ ৰজাই পুত্ৰলাভ কৰি মহোৎসৱেৰে জৰাক যথোচিত সন্মানিত কৰিলে। জৰাৰ দ্বাৰাই সন্ধিত বা সংযোজিত হোৱাৰ আপাহত ৰজাৰ সেই পুত্ৰৰ নাম জৰাসন্ধ হল।—মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়াৰম্ভ পৰ্ব্বাধ্যায়, ১৬—১৭ আধ্যা।

(১) ভীমসেনাৰ্জ্জুনঃ কৃষ্ণো ব্ৰহ্মলিঙ্গধৰা স্ত্ৰয়। জগ্মু গিৰিব্ৰজং তাত বৃহদ্ৰথসুতো যতঃ॥—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৭২ আধ্যা, ১৫শ শ্লোক।

(২) মহাভাৰত, সভাপৰ্ব্ব, জৰাসন্ধবধ পৰ্ব্বাধ্যায়, ২১শ আধ্যা।

বুলি ভীমাৰ্জ্জুনে সৈতে মগধ ৰাজধানী গিৰিব্ৰজত উপনীত। সেই কাৰণে, সিবিলাকে ৰাজ-দুৱাৰেদি প্ৰৱেশ নকৰি, চৈত্যকগিৰিৰ ওপৰলৈ উঠি তাৰ টিং ভাঙ্গি বাট উলিয়াই গৈ নগৰৰ ভিতৰ হৈ নামিলগৈ। ৰাজধানীৰ ভিতৰ সোমায়েই সিবিলাকে পোনপটীয়াকৈ ৰাজ-যজ্ঞালয়ৰ মুখে গতি কৰিলে। যাওঁতেই সিবিলাকে মাল-বেছা মালীৰপৰা বাটতে যোগাৰ কৰি লৈ তিনিও তিনিধাৰ গন্ধ-পুষ্প-মালা পিন্ধি ললে।[১] তাৰ পাচত, যজ্ঞালয়ত প্ৰৱেশ কৰি সিবিলাকে সাক্ষাৎ লাভাৰ্থে ৰজাক জনোৱাত, ৰাজাজ্ঞা অনুসৰি ততালিকে সিবিলাকক মগধাধিপতি জৰাসন্ধৰ ৰজাৰ ওচৰত ভেঁটোৱাগৈ হল। ৰজাই যথাবিধি আতিথ্য-সৎকাৰ কৰি উপস্থিত স্নাতক ব্ৰাহ্মণ অতিথি তিনি জনক বহিবলৈ আসন দিয়ালে। কিন্তু, সিবিলাকে আসন আৰু আতিথ্য এবিধো গ্ৰহণ নকৰিলে।[২]

শ্ৰীকৃষ্ণ আৰু ভীমাৰ্জ্জুনৰ গচ-গতি আৰু সাজ-পাৰলৈ লক্ষ্য কৰি জৰাসন্ধ ৰজাই সিবিলাকক মনে মনে ক্ষত্ৰিয় বুলিহে ভাবিছিল, আৰু কেতিয়াবা ক'ৰবাত দেখা যেন স্মৰণ কৰি[৩], অলপ আচৰিত হৈ সিবিলাকক এই বুলি সম্বোধন কৰিলে, "হে বিপ্ৰত্ৰয়! আমি ভালকৈ জানো যে, স্নাতক ব্ৰাহ্মণে কদাপি মালা পৰিধান নকৰে, আৰু সুগন্ধি চন্দন লেপনেৰে শৰীৰৰ কান্তি নবঢায়। তাৰোপৰি, আপোনালোকৰ হাতত শৰ-ধেনুৰ আৰ্হি-চিত্ৰ অঙ্কিত আৰু সাজ-পাৰত ৰক্তবস্ত্ৰ ব্যৱহৃত, দেখাত আপোনালোকক ব্ৰাহ্মণ যেন নেদেখি, ক্ষত্ৰিয় যেন হে দেখি। এতেকে, স্বৰূপকৈ কওকচোন আপোনালোকনো কোন্ বৰ্ণৰ? আৰু, আপোনালোক আচল ৰাজদুৱাৰেদি প্ৰৱেশ নকৰি ৰাজগড় চৈত্যগিৰিৰ চূড়া ভাঙ্গি বাট উলিয়াই লৈ ৰাজধানীত সোমাইছেহি, ইয়াৰ নো অৰ্থ আৰু উদ্দেশ্য কি?"

জৰাসন্ধৰ প্ৰশ্নোত্তৰত ভীমাৰ্জ্জুনে মৌনব্ৰত ধাৰণ কৰিলে,[৪] আৰু শ্ৰীকৃষ্ণই এই বুলি সমিচাৰ দিলে,—"হে ৰাজন্! স্নাতক ব্ৰাহ্মণৰ ব্ৰত যেয়ে-সেয়ে ধাৰণ কৰিব পাৰে, আৰু গন্ধপুষ্পৰ মালা ধাৰণ কৰি মহৎ অনুষ্ঠানত ধৰিলে মানুহৰ মনোৰথ সহজে পূৰ্ণ হয়, সেই কাৰণে আমিও মালা পৰিধান কৰি আহিছোঁ। জ্ঞানীলোকে শত্ৰুৰ ঘৰলৈ আহোঁতে চলন্তা ৰাজদুৱা দুৱাৰেদি নোসোমায়, বন্ধুজনৰ ভিতৰলৈ হে আচল দুৱাৰেদি সোমায়, আমিও সেই কাৰণে তাক আচৰিছোঁ। হে ৰাজন্, আপোনাক ইয়াকো জনাওঁ যে, আমাৰ কোনো উদ্দেশ্য সিদ্ধিৰ অৰ্থে শত্ৰুৰ গৃহলৈ প্ৰৱেশ কৰাৰ হেতুকে আমি আপোনাৰ আতিথ্য গ্ৰহণ কৰা নাই। এতেকে, আমাৰ গতি-গোত্ৰলৈ লক্ষ্য কৰি আপুনি আচৰিত মানিবৰ সকাম নাই।"

জৰাসন্ধই শ্ৰীকৃষ্ণৰ উক্তিত এই বুলি যুক্তিযুত উত্তৰ কৰিলে,—"মই তোমালোকৰ কোনো অনিষ্ট কৰা মোৰ মনত নপৰে দেখোন। মই যি স্থলত তোমালোকৰ প্ৰতি কোনো অহিতাচৰণ কৰা নাই, সেই স্থলত তোমালোকে মোক কিয় শত্ৰু ভাবিবা? মই কদাপি মোৰ প্ৰজাবৰ্গৰ অহিতে নাযাওঁ, আৰু কাচিতো কাৰো প্ৰতি অন্যায় ব্যৱহাৰ নকৰোঁ। এতেকে, তুমি মোক শত্ৰু বোলা অন্যায় হৈছে।"

জৰাসন্ধৰ সেই যুক্তি শ্ৰীকৃষ্ণই এই উক্তিৰে কাটি উকৰাই দিলে,—"মহাৰাজ! আপোনাৰ সেই যুক্তি যথাৰ্থ হোৱা নাই। কিয়নো, আপুনি ভালেমান নিশকতীয়া

---

(১) মহাভাৰত, সভাপৰ্ব্ব, ২১ আধ্যাৰ ২৬ শ্লোকমতে শ্ৰীকৃষ্ণ আৰু ভীমাৰ্জ্জুনে সেই মালা মালীৰপৰা ডকা দি লৈছিল।

(২) মহাভাৰত, সভাপৰ্ব্ব, ২১ আধ্যা, ৩৩ শ্লোক।

(৩) স্বৈৰাকৃতিভিস্তাংস্ত প্ৰকোষ্ঠৈৰ্জ্যাহতৈৰপি।
ৰাজন্যবন্ধূন্ বিজ্ঞায় দৃষ্টপূৰ্ব্বানচিন্তয়ৎ॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ৭২ আধ্যা, ২০শ শ্লোক।

(৪) জৰাসন্ধৰ আগত শ্ৰীকৃষ্ণৰ উক্তিমতে ভীমাৰ্জ্জুন সেই সময়ত 'নিয়মস্থ' আছিল, আগ-ৰাতিলৈ সিবিলাকৰ কথা কোৱা নিষিদ্ধ। সেই কাৰণে, সিবিলাকক সম্প্ৰতিকলৈ যজ্ঞালয়ত জিৰাবলৈ দিহা দি, জৰাসন্ধ অন্তঃপুৰলৈ সোমাল, আৰু তাৰ পাচত, যথাসময়ত, যজ্ঞালয়লৈ আহি তেওঁ কৃষ্ণ আৰু ভীমাৰ্জ্জুনেৰে সৈতে লাগতিয়াল কথা-বাৰ্ত্তা পাতিবলৈ বহিলহি।—মহাভাৰত, সভাপৰ্ব্ব, ২১ আধ্যা, ৩৪ শ্লোক।

ৰজা-মহাৰজাক অবাৰত বন্দী কৰি ৰাখিছে। এনাজগৰত সিবিলাকক কঠোৰ শাস্তি দিব লাগিছে। আৰু, সেই নিৰ্য্যাতনৰ কাল পূৰ্ণ হলে, আপুনি সিবিলাকক শিৱ-মন্দিৰত বলি দিবলৈ মনস্থ কৰিছে।[১] ইয়াৰ দ্বাৰাই আপুনি আপোনাৰ তলৰ নৰ-প্ৰাণীৰ প্ৰতি পশুৰত ব্যৱহাৰ কৰিছে। এতেকে, আপুনি মহাপাপৰ পাপী। এনেকুৱা পাপৰ ক্ষমা নাই। আমি ধৰ্ম্ম সাধনা কৰোঁ। সেই সাধনা মতে পাপীৰ প্ৰায়শ্চিত্ত লোৱাটো ধৰ্ম্মাত্মাৰ দ্বাই কৰ্ত্তব্য। বিপন্নক পাৰিতপক্ষে উদ্ধাৰ কৰাটো দ্বিতীয় কৰ্ম্ম। আপোনাক এনে গুৰুতৰ পাপৰ পাপী বুলি জানিও নিৰ্ব্বিবাদে আৰু অবাধে বাট এৰি দিলে আপোনাৰ পাপে আমাকো চুবহি।[২] আৰু, সেই নিৰপৰাধী বিপন্ন ৰাজন্যবৰ্গক আসন্ন আপদৰপৰা উদ্ধাৰ নকৰিলে আমাৰ সাধনা ভ্ৰষ্ট হব। গতিকে, আমি আপোনাক বধ কৰি ধৰ্ম্ম ৰক্ষা কৰিবলৈ চাপিছোঁহি। হে ৰাজন! আমি ব্ৰাহ্মণ নহওঁ; এতিয়া আমাৰ আচল চিনাকি দিওঁ,—এই দুজন পাণ্ডৱ কৌৰৱ কুন্তীনন্দন ভীম আৰু অৰ্জ্জুন; মই ইবিলাকৰ মোমায়েকৰ পুত্ৰ, আপোনাৰ পূৰ্ব্বপৰিচিত মহা শত্ৰু সেই কৃষ্ণ।[৩] আমি আপোনাৰ লগত দ্বৈৰথ যুদ্ধৰ পণ কৰিছোঁ। আপুনি হয় বন্দী ৰাজন্যবৰ্গক ততালিকে মুক্ত কৰক, নহয় যমপুৰীলৈ যাবলৈ সাজু হওক।'[৪]

জৰাসন্ধই অৱজ্ঞাসূচক হাঁহি মাৰি এই বুলি উত্তৰ কাটিলে,—"হেৰা কৃষ্ণ! মই তোমাৰ ৰাজন্যবৰ্গক অন্যায়কৈ বন্দী কৰা নাই। সিবিলাক যুদ্ধৰ বন্দী। সিবিলাকৰ প্ৰত্যেককে ৰণত জিনি হে মই বন্দী কৰিছোঁ। আৰু, ইয়াকো জানিবা যে, মই তোমাৰ ভাবুকিত টলি বন্দীবৰ্গক মুক্তি দিয়া ভকত নহয়। মই ৰণলৈ পিচ নপৰোঁ, যুদ্ধলৈ নডৰাওঁ। সৈন্যে-সৈন্যে ৰণ দিবলৈকো মই আনন্দেৰে আগ বাঢ়িম, আৰু তোমালোক তিনিৰ লগত স্বকীয়া-স্বকীয়াকৈ, বা তিনিওৰে সৈতে মুঠীয়াকৈ দ্বৈৰথ বা ত্ৰৈৰথ ৰণ দিবলৈকো সাজু আছোঁ।" এই সম্বিধান পাই, শ্ৰীকৃষ্ণই জৰাসন্ধত পুনৰপি এই বুলি সুধিলে, "তেন্তে, হে বীৰবাহো! কওক, আমি তিনিজনৰ ভিতৰত কোন জনৰে সৈতে আপুনি দ্বৈৰথ যুঁজ দিবলৈ সাজু হব?"[৫] এই কথা শুনি জৰাসন্ধই কৃষ্ণাৰ্জ্জুনৰ প্ৰতি নিতান্ত হেয় দৃষ্টিৰে চাই, তেওঁৰ মনোভাব এই ভাৱে ব্যক্ত কৰিলে যে, সিবিলাক দুজন তেওঁৰ মানত নিচেই অপদাৰ্থ। গতিকে, তেওঁ "চিকা মাৰি হাত গোন্ধোৱাবলৈ" ইচ্ছা নকৰে। তাৰ পাচত, দ্বিতীয় পাণ্ডৱ ভীমলৈ চাই এই বুলি সিদ্ধান্ত দিলে—"এওঁকে অলপ মনে ধৰে। এওঁৰ লগতে এপাক মাৰিবৰ মন যায়। বাৰু, এওঁকে মনোনীত কৰা গল।" বোলে, "সমানে সমানে কৰিবা কাজ, হাৰিলে জিকিলে নাই লাজ।" এই ইতিকিংসূচক মন্তব্য ব্যক্ত কৰি জৰাসন্ধ ৰজাই কৌশিক আৰু চিত্ৰসেন নামে সেনাপতিদ্বয়ক মতাই আনি, যুৱৰাজ সহদেৱৰ ৰাজ্যাভিষেকৰ অৰ্থে আয়োজনৰ আজ্ঞা দি, দ্বিতীয় পাণ্ডৱ ভীমসেনৰে সৈতে দ্বৈৰথ যুঁজলৈ সাজু হল।[৬]

---

(১) মহাভাৰত, সভাপৰ্ব্ব, জৰাসন্ধবধপৰ্ব্বাধ্যায়, ২২শ আধ্যা।

(২) নিৰপৰাধী অবধ্যক বধ কৰাটো যেনেকুৱা অঘাইত পাপ, বধ অপৰাধীক পাৰিতপক্ষে বধ নকৰাটো ততোধিক অঘাইত পাপ,—এয়ে কৃষ্ণ-ধৰ্ম্ম।

(৩) অসৌ বৃকোদৰঃ পাৰ্থ স্তস্য ভ্ৰাতাৰ্জ্জুনোহয়ং।
অনয়ো মাতুলেয়ং মাং কৃষ্ণং জানীহি তে ৰিপুং॥
—শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, ২৭ আধ্যা,
২৪ শ্লোক।

(৪) মহাভাৰত, সভাপৰ্ব্ব, জৰাসন্ধবধপৰ্ব্বাধ্যায়, ২২ আধ্যা।

(৫) দ্বৈৰথ যুদ্ধৰ অপৰিহাৰ্য্যতা আৰ্য্যহিন্দুৰ অলিখিত সংহিতা। সেই কালত হিন্দু-সভ্যতাই অতি দুৰ্দ্দান্ত স্বেচ্ছাচাৰী ৰাজাধিৰাজ মগধৰজাকো সেই সংহিতা নতশিৰে মানিবলৈ যে বাধ্য কৰিছিল, জৰাসন্ধৰ এই দ্বৈৰথ যুদ্ধৰ পণ-গ্ৰহণেই তাৰ বিশিষ্ট সাক্ষ্য।

(৬) মহাভাৰত, সভাপৰ্ব্ব, জৰাসন্ধবধ পৰ্ব্বাধ্যায়, ২২ আধ্যা।

উনবিংশ আধ্যা

জৰাসন্ধ-বধ

ভীমে সৈতে দ্বৈৰথ যুঁজ দিয়াৰ পণ গ্ৰহণ কৰি গম্ভীৰ-ভাৱে জৰাসন্ধই শয়নকক্ষত প্ৰৱেশ কৰিলেগৈ। ভীমাৰ্জ্জুনে সৈতে বাসুদেৱেও যথাবিধি আতিথ্য গ্ৰহণ কৰি, শেহৰাতি-ছোৱাৰ নিমিত্তে জিৰণি ললেগৈ।

পিচদিনা পুৱাতে উঠি জৰাসন্ধই যথাৰীতি প্ৰাতঃকৃত্য সমাপন কৰি প্ৰতিশ্ৰুত দ্বৈৰথ যুঁজৰ পণ বিষয়ে তেওঁৰ বিশিষ্ট আৰু সুপ্ৰখ্যাত পূজাৰী পণ্ডিতৰে সৈতে আলোচনাত ৰহিলে। ফলত, জৰাসন্ধৰ জয় কামনাৰে সৈতে বিশেষ প্ৰণয়নত এভাগী শান্তিকৰ্ম্ম সম্পাদন কৰি, পূজাৰী পণ্ডিতে যুদ্ধৰ সময়ত দুখ-ভাগৰ উপশম কৰা দ্ৰব্যাদি দৈবিক প্ৰণালীৰে যুগুত কৰি দিলে। তাৰ পাচত, জৰাসন্ধৰ সিদ্ধান্ত আৰু আদেশ অনুক্ৰমে তেওঁৰ পুত্ৰ সহদেৱ কোঁৱৰক মগধ-ৰাজপাটত তুলি ৰাজকীয় নীতি অনুসাৰে ৰাজ্যভাৰ গতাই দিয়া হল।[১]

প্ৰতিশ্ৰুত দ্বৈৰথ যুঁজলৈ পূজাবিধি আৰু ৰাজ-নীতি অনুযায়ী জৰাসন্ধ সাজু হৈ উঠাৰ পাচত, গিৰিব্ৰজ ৰাজ-টোলৰ বাহিৰে সুবহুল মুকলি চাপৰিত বিশেষ আয়োজনেৰে যুদ্ধ-ক্ৰীড়াৰ আয়োজন কৰা হল। সেই কালৰ সুপ্ৰখ্যাত বাহুবলী বীৰযুগল ভীম-জৰাসন্ধৰ অসামান্য দ্বৈৰথ যুদ্ধ দৰ্শনৰ প্ৰতীক্ষাত নগৰবাসী-দৰ্শকেৰে, ৰঙ্গচাপৰি ভৰি পৰিলহি। ল'ৰা, ডেকা, বুঢ়া, শাহু, বোৱাৰী, জীয়াৰী, কণা, কোঙা, খোড়া, কুঁজা, যেয়ে যিমানলৈকে শুনিলে সিমানৰপৰা আহি দ্বৈৰথ যুদ্ধস্থল নধৰা হলহি। এনেকি, সেই জনতাৰ মাজত দুজনৰ দুমূৰৰ সন্ধিস্থলত আঙুলি বটিয়াবলৈ ছিদ্ৰ নোহোৱা হৈছিল।[২]

যথাসময়ত যথাআড়ম্বৰ আৰু যথাবিধানেৰে সৈতে সেই অসাধাৰণ দ্বৈৰথ যুদ্ধৰ নায়কযুগল, মগধৰাজ জৰাসন্ধ আৰু দ্বিতীয় পাণ্ডৱ ভীমসেন মল্লমঞ্চত অৱতীৰ্ণ হৈ নিৰ্দ্ধাৰিত আসনত উপবিষ্ট হলহি। কৃষ্ণাৰ্জ্জুনেও দৰ্শক মণ্ডপৰ মাজত নিৰূপিত আসন গ্ৰহণ কৰিলেহি। জৰাসন্ধই মূৰৰ মুকুট আঁতৰাই থৈ, ভালকৈ চুলিকোছা বান্ধি লৈ, বুকু ফিন্দাই ওফন্দি চপ্‌চপীয়া সাগৰৰ পানীত জাপ দি পৰাৰ দৰে মল্লমঞ্চত জাপ মাৰি নামি বাহু-চাপৰিৰে সৈতে প্ৰতিযোগী যোদ্ধা বীৰবাহু ভীমসেনক যথাবিধি যুঁজলৈ আহ্বান কৰিলে।[৩]

ভীমসেনে জৰাসন্ধৰ আস্ফালন উপলুঙাকৈ উৰাই দি, ভীমনাদেৰে ৰঙ্গভূমি নিনাদিত কৰি, সমবেত জনতাক চমক্ লগাই অতি আগ্ৰহেৰে আগবাঢ়ি গৈ মল্লমঞ্চত প্ৰৱেশ কৰিলে। ততালিকে ভীম আৰু জৰাসন্ধ দুজন অতৃতীয় বীৰবাহুৱে নিৰস্ত্ৰ কৰেৰে দুয়ো দুইৰে বাহুমৰ্দ্দন আৰু উৰুসংঘৰ্ষণেৰে দুয়ো দুইক যথাবিধি অভিবাদন কৰিলে। তাৰপাচত, সেই অসামান্য আৰু অদ্ভুত দ্বৈৰথ-যুদ্ধ আৰম্ভ হল।[৪] মত্তমাতঙ্গ হেন দুজন অজেয় বীৰৰ দপ্‌দপনিত মেদিনী কঁপিবলৈ ধৰিলে। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ সদৌ শ্ৰেণীৰ প্ৰজা আহি মল্লমঞ্চৰ চৌপাশে বেৰি বেৰি ঠৰ লাগি চাবলৈ ধৰিলে।[৫] হুঙ্কাৰত মেঘগৰ্জ্জন জিনি এজন যোদ্ধাই বজ্ৰৰত আন জনৰ ওপৰত জপিয়াই পৰেগৈ, আনজনে অটল ছলেৰে কেৰপাতি ধৰি ওফৰাই পঠিয়ায। মল্লযুদ্ধৰ বন্ধানীতি অনুসৰি দুই মহাবীৰে কতবাৰ কঁকালে-কঁকালে লৰে, কিন্তু কাকো কেৱে লৰাব নোৱাৰে, বাহুৱে-বাহুৱে মাৰি দুয়ো দুফালে কৰ্কাল খাই পৰে, কিন্তু কেৱে কাকো হটাব নোৱাৰে; বুকুৱে-বুকুৱে পটা-পিহনা দি দুয়ো দুইৰ হৃদিহাৰ ভাঙ্গে যেন কৰে, কিন্তু এজনৰ খোপনি আনজনে পিছলাব নোৱাৰে, মূৰে মূৰে মাৰি শিল-ভঙ্গা শবদেৰে জনতাৰ কাণ-টাল মৰায়, কিন্তু এজনৰ মগজু

---

(১) মহাভাৰত, সভাপৰ্ব্ব, জৰাসন্ধবধ পৰ্ব্বাধ্যায়, ২৩ আধ্যা, ১০—১২ শ্লোক।

(২) মহাভাৰত, সভাপৰ্ব্ব, জৰাসন্ধবধ পৰ্ব্বাধ্যায়, ২৩ আধ্যা, ১৩—১৫ শ্লোক।

(৩) মহাভাৰত, সভাপৰ্ব্ব, জৰাসন্ধবধ পৰ্ব্বাধ্যায়, ২৩ আধ্যা, ১৬—১৭ শ্লোক।

(৪) মহাভাৰত, সভাপৰ্ব্ব, জৰাসন্ধবধ পৰ্ব্বাধ্যায়, ২৩ আধ্যা, ১৮—২০ শ্লোক।

(৫) মহাভাৰত, সভাপৰ্ব্ব, জৰাসন্ধবধ পৰ্ব্বাধ্যায়, ২৩ আধ্যা, ২১—২২ শ্লোক

আনজনে অলপো বিকৃত কৰিব নোৱাৰে। বুকুৰে-পিঠিয়ে-উকৰে-আঠুৰে, ফান্দনিয়ে-কলাফুলে কত ভাউতিৰে কতবাৰ লৰে, তথাপি হৰা-জিকাৰ চিন্ নাই। এইদৰে দুপৰীয়াৰ-পৰা সন্ধিয়ালৈকে জিৰণিৰ সন্ধি নৰখাকৈ যুঁজিলে, কিন্তু এজনেও আনজনক বলে নোৱাৰিলে! গতিকে, প্ৰথম দিনা সিমানতে যুঁজ স্থগিত ৰখা হল।[১]

তাৰ পাচত, এদিন, দুদিন, তিনদিনকৈ সপ্তাহদিন ভীম-জৰাসন্ধৰ মাজত দ্বৈৰথ যুঁজ চলিছে, কিন্তু এজনেও আনজক জিনিব পৰা নাই। নিৰস্ত্ৰ ক্ৰীড়া এৰি সশস্ত্ৰ প্ৰক্ৰিয়াত ধৰা হল,—দুই গদাবীৰে দুহাতে দুডাল ভীমগদা লৈ যুঁজিবলৈ ধৰিলে। গদা-সংঘৰ্ষণৰ ফিৰিঙতি উফৰি বিজুলী-চমকাদি চমকিবলৈ ধৰিলে, দৰ্শকৰ চকুত চলিহা লগাদি লাগিল, কিন্তু এজনেও আনজনৰ অঙ্গ ভঙ্গ কৰিব পৰা নাই, দুয়ো দুগুণ বল আৰু চতুৰ্গুণ উলাহেৰে গদাযুদ্ধ চলাবই লাগিছে! এই অনুক্ৰমে সপ্তাহ পাৰ হৈ পষত সোমাল, কিন্তু এজনৰো হৰা জিকাৰ চিন্ নোলাল। পাচলৈ, দুই বীৰৰ দুঃসহ পীড়ন, অদ্ভুত সহন দেখি দেখি দৰ্শকৰ অসহনীয় হলগৈ। এইদৰে যুঁজি, সদোঁশেহত চৈধ্য দিনৰ দিনা মহাবীৰ জৰাসন্ধ টলিবলৈ ধৰিলে, তেওঁ ভাগৰত ক্ৰমাৎ অৱশ হৈ আহিল। জৰাসন্ধক সেইদৰে জঁয় পৰা দেখি ধৰ্ম্মপ্ৰাণ দয়াময় শ্ৰীকৃষ্ণদেৱে ভীমসেনৰ সমুখ হৈ, এই বুলি তেওঁক অনুৰোধ কৰিবলৈ ধৰিলে, হে বীৰবাহু কুন্তীনন্দন! যুঁজৰ প্ৰতিযোগীজন ভাগৰিলে তেওঁক পীড়িব নাপায়; এতেকে হে কৌৰৱ! মগধাধিপতিক অলপ বিৰতি দিয়া উচিত।[১] কিন্তু, ভীমে নামানিলে; তেওঁ কৃষ্ণানুৰোধ অৱহেলি এই বুলি সমিচাৰ দিলে,—"হে কৃষ্ণ! দুৰ্দ্দান্ত জৰাসন্ধৰ এতিয়াও বলক্ষয় হোৱা নাই, এতিয়াও কঁকালত টঙালি আঁটা ভাগেই দুৰাচাৰ মোৰ সমুখত যুঁজলৈ সাজু হৈ ৰৈছে। এতেকে, মই এই ছেগ এৰিব নোৱাৰোঁ।" এই বুলি, কেঁচা তেজৰ সোৱাদ পোৱা বাঘৰ দৰে গৰজি উঠি, ভীমসেনে জৰাসন্ধৰ টঙালিত খামোচমাৰি ধৰি মূৰৰ ওপৰে কেইপাকমান ঘূৰাই মাটিত নেকেহকৈ পেলাই লৈ, পিঠিত আঠুৰে হেচি ধৰি ৰাজহাড় দুডোখৰকৈ ভাঙি, শেহত এটা ভৰিত ভৰিৰে সৈতে গছকি ধৰি, আনটো ভৰি দুহাতে খামোচ মাৰি ধৰি উচাল মাৰি বাঁহ ফলাদি জৰাসন্ধক দুচিটাকৈ ফালি পেলালে।[২]

জৰাসন্ধৰ পতনত এহাতে ৰাজ্যজুৰি হাহাকাৰ লাগি উঠিল। আনহাতে, আপদহাৰী হৰি শ্ৰীকৃষ্ণৰ মহিমা-কীৰ্ত্তন চৌপাশে বিয়পি পৰিল। কিয়নো, জৰাসন্ধ ধৰ্ম্ম-যুদ্ধত নিহত হৈছিল, আৰু সেই ৰাজনৈতিক যুদ্ধ যে কৃষ্ণ-কৌশলৰ দ্বাৰাই ৰচিত তাক ইতিমধ্যে জনসাধাৰণে ভালকৈ জানি উঠিছিল। তাৰোপৰি, জৰাসন্ধৰ স্বেচ্ছা-চাৰিতাত কেৱল যে অন্যান্য ৰাজ্যৰ ৰাজন্যবৰ্গৰ অশান্তি বাঢ়িছিল এনে নহয়, নিজ ৰাজ্যতো ধাৰ্ম্মিক আৰু শান্তি-প্ৰিয় প্ৰজাবৰ্গৰ মন-প্ৰাণত সুখ-শান্তি নোহোৱা হৈছিল। এতেকে, সেই অশান্তিৰ মূৰ মাৰি শান্তি স্থাপন কৰোঁতা মধুসূদন শ্ৰীকৃষ্ণৰ সাধুবাদ ৰাষ্ট্ৰ হোৱাটো স্বাভাৱিক ধাউতিৰ ফল মাথোন।

তাৰ পাচত, বাসুদেৱে জৰাসন্ধবধৰ মূল উদ্দেশ্য সমাপনৰ কাৰ্য্য আগত ললে। তেওঁৰ আদেশ-উপদেশমতে ততালিকে বন্দীশালৰপৰা জৰাসন্ধই বন্দী কৰি ৰখা ৰজাসকলক মুক্ত কৰা হল। সিবিলাকে কৃষ্ণ-কৌশলৰ গুণত হে যে আশাতীত মুক্তিলাভ কৰিলে, সেই বিষয়ক তথ্য উপলব্ধি

(১) মহাভাৰত, সভাপৰ্ব্ব, জৰাসন্ধবধ পৰ্ব্বাধ্যায়, ২৩ আধ্যা, ২৩ শ্লোক।

(১) মহাভাৰত, সভাপৰ্ব্ব, জৰাসন্ধবধ পৰ্ব্বাধ্যায়, ২৩ আধ্যা, ৩২ শ্লোক।

(২) পুৰাণ আৰু মহাভাৰতমতে সেই আসন্ন অৱস্থাত জৰাসন্ধৰ প্ৰাণান্তক বেদনা অন্ত পেলোৱাৰ অৰ্থে, শ্ৰীকৃষ্ণ-দেৱে বিৰিণাবনৰ পাত এটা দুহাতে ধৰি ফালি দেখুৱাই, ভীমক জৰাসন্ধৰ জন্মবৃত্তান্ত স্মৰণ কৰাই দিয়াত, জন্মসন্ধি ছেৰে-ছেৰে ছিৰি ভীমে জৰাসন্ধক দুফাল কৰি ফালি পেলালে। ই কেৱল অলৌকিকতাৰ মাত্ৰা চৰোৱা কৰিব কল্পনাত বাজে আন একো নহয়; জৰাসন্ধৰ জন্মকাহিনী যেনে বিশ্বাসৰ অযোগ্য, এই কল্পিত আখ্যাও তেনে পতিয়াব নোৱাৰা কথা।

কৰিবলৈ সৰহপৰ নালাগিল। গতিকে, বন্দীৰাজ সকলোটিয়ে বিমুগ্ধ চিতেৰে শ্ৰীকৃষ্ণদেৱক যথাবিধি অভিবাদন কৰি, ভীমাৰ্জ্জুনৰ ওচৰত বিনীতভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিলে।

সদোঁশেহত, শ্ৰীকৃষ্ণৰ বিধানমতে, গিৰিব্ৰজ নগৰতে, ৰাজপুৰীৰ বাহিৰে, মুক্তিপ্ৰাপ্ত ৰজাসকলেৰে সৈতে মগধ-ৰাজছত্ৰৰ ছঁয়াত এখন ৰাজদৰবাৰৰ সম্মিলনী বহিল। সেই স্থ-ছেগতে সমবেত ৰাজ-ৰাজোৱাৰসকলৰ সাক্ষাতে জৰাসন্ধৰ পুত্ৰ সহদেৱ কোঁৱৰক যথাবিধি সিংহাসনত বহুৱাই মগধৰাজ্যৰ অধিপতি পতা হ'ল। মগধৰাজ সহদেৱে তাৰ প্ৰতিদানস্বৰূপ যথাযোগ্যৰূপে বিপুল অৰ্থ-বিভূতিৰে সৈতে শ্ৰীকৃষ্ণ আৰু ভীমাৰ্জ্জুনৰ ওলগ ললে। তাৰ পাচত, মুক্তিপ্ৰাপ্ত ৰজাসকলে একবাক্যে শ্ৰীকৃষ্ণৰ প্ৰতি এই বুলি নিবেদন কৰিলে, "হে দৈৱকীনন্দন বাসুদেৱ! আপোনাৰ অনুগ্ৰহৰ বিনিময়ত আপোনাৰ আৰু পাণ্ডৱৰ কিবা উপকাৰ সাধিবলৈ অনুমতি পালে আমি কৃতাৰ্থ হওঁ।" শ্ৰীকৃষ্ণদেৱে অতি হৃষ্টচিতেৰে ৰজাসকলক এই বুলি সমিচাৰ দিলে,—"হে ভাৰত ভূপতিসকল! আপোনাসকলৰ অনুৰোধত মই এই উপকাৰ বিচাৰোঁ ;—ধৰ্ম্মৰাজ যুধিষ্ঠিৰে অলপতে যি ৰাজসূয়-যজ্ঞ পাতি, ৰাজচক্ৰবৰ্ত্তী খিতাপ লবলৈ বাঞ্ছা কৰিছে, আপোনাসকল যেন তাত তেওঁৰ সহায় হয়। এয়ে মোৰ অনুৰোধ।" ৰজাসকলে অতি সন্তোষেৰে বাসুদেৱৰ সেই অনুৰোধ ৰক্ষা কৰিবলৈ প্ৰতিশ্ৰুত হোৱাৰ পাচত, সকলোটিয়ে সম্প্ৰীতি আলিঙ্গনেৰে বিদায় লোৱালুই কৰি নিজ নিজ ৰাজ্যলৈ প্ৰত্যাগমন কৰিলে। শ্ৰীকৃষ্ণদেৱ আৰু ভীমাৰ্জ্জুনেও নতুন মগধৰাজ সহদেৱপ্ৰদত্ত জৰাসন্ধৰ দেৱতাদুৰ্ল্লভ বিতোপন ৰথত চৰি ইন্দ্ৰপ্ৰস্থ অভিমুখে ওলটা-যাত্ৰা কৰিলে।

বিংশ আধ্যা

প্ৰথম ছেদ

শ্ৰীকৃষ্ণৰ বিদায়ক্ষণৰ উপদেশ

গিৰিব্ৰজৰপৰা মহোল্লাসেৰে উলটি আহি ভীমাৰ্জ্জুনে সৈতে শ্ৰীকৃষ্ণ ইন্দ্ৰপ্ৰস্থ ৰাজধানীত উপনীত হ'লহি। সিবিলাক তিনিও ৰাজচ'ৰালৈগৈ পোনেই ধৰ্ম্মৰাজ যুধিষ্ঠিৰক প্ৰণাম কৰিলেগৈ। কৰুণপ্ৰাণ ধৰ্ম্ম যুধিষ্ঠিৰে আনন্দবিহ্বল হৈ শ্ৰীকৃষ্ণদেৱক স্নেহালিঙ্গন দি, প্ৰাণৰ সোদৰ ভীমাৰ্জ্জুনক সাবটি ধৰি শিৰ-আঘ্ৰাণেৰে আশীৰ্ব্বাদ কৰিলে। তাৰ পাচত, বাসুদেৱে বিহিত সম্মানেৰে অগ্ৰজপ্ৰতিম ৰজা যুধিষ্ঠিৰক হৃষ্টচিতেৰে এই বুলি সুসংবাদ আৰু সুপৰামৰ্শ জ্ঞাপন কৰিলে, "হে ধৰ্ম্মৰাজ! শুনি সন্তোষ পাব যে, অজেয় জৰাসন্ধক দ্বৈৰথ যুদ্ধত পৰাজয় কৰি আপোনাৰ সুযোগ্য অনুজ গদাবীৰ ভীমসেনে বধ কৰিলে। তেওঁৰ পুত্ৰ সহদেৱক পিতৃৰ ৰাজ-সিংহাসনত যথাবিধি অভিষিক্ত কৰি মগধৰ অধিপতি পতা হ'ল। জৰাসন্ধই গিৰিব্ৰজত বন্দী কৰি ৰখা নিৰপৰাধী ৰজাসকলক মুক্ত কৰা গ'ল। সিবিলাকে কৃতজ্ঞতাৰ চিন্ স্বৰূপ আমাক যথাযোগ্য উপকাৰ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰাত সিবিলাকক জনোৱা হ'ল যে, পাণ্ডৱৰাজে যি ৰাজসূয়-যজ্ঞ অনুষ্ঠানৰ আয়োজন কৰিছে, তাত সিবিলাকে সৰ্ব্বতোভাৱে সহানুভূতি যোগ দিলেই কৃতজ্ঞতাৰ যথেষ্ট চিন্ দেখুৱা হ'ব। এই কথাত ৰজাসকলে পৰম আনন্দেৰে মান্তি হৈ যথাযোগ্য ওলগনি দিছে। নতুন মগধৰাজেও আপোনাৰ শৰণাপন্ন হৈ, তেওঁৰ পিতৃ মহাবাহু জৰাসন্ধৰ দেৱতাদুৰ্ল্লভ বিচক্ষণীয়া ৰথখনে সৈতে আপোনালৈ মিত্ৰৰাজৰ সম্ভাৱ পঠিয়াইছে। এতেকে, হে মহাৰাজ, এতিয়া আপুনি নিশ্চিন্তে ৰাজসূয়-যজ্ঞৰ অনুষ্ঠানলৈ আগ বাঢ়িব পাৰে।" সৰল আৰু কোমল অন্তৰৰ ধৰ্ম্মপ্ৰাণ ৰজা যুধিষ্ঠিৰে এই আশাতীত সুসম্বাদত গদগদ হৈ শ্ৰীকৃষ্ণদেৱক পুনৰপি গাঢ়তৰ আলিঙ্গন দি এই বুলি অন্তৰৰ ভাব ব্যক্ত কৰিলে, "হে কৃষ্ণ! তুমি মানৱ-শ্ৰেষ্ঠ, অদ্ভুত ক্ষমতাশালী পুৰুষ; তোমাৰ অসাধ্য কি

আছে! যি কাৰ্য্যলৈ তুমি অগ্ৰসৰ হোৱাঁ, তাৰ আদ্‌খিনি উদ্দেশ্য আগধৰিয়েই সিদ্ধি হৈ উঠে। সঁচাকৈ কবলৈ গলে, তোমাবিনে অজেয় জৰাসন্ধৰ পৰাজয়, অবধ্য মগধাধিপতিক বধ কৰা অসম্ভৱ হলহেঁতেন; মোৰ প্ৰাণপ্ৰতিম সোদৰ ভীমাৰ্জ্জুন নিমিত্তকাৰণ মাথোন, আচল কাৰ্য্যসম্পাদক তুমি হে। মোৰ অন্তৰত অপাৰ আনন্দ হৈছে যে, এই আপাহতে ময়ো এটি মহৎ ধৰ্ম্মকৰ্ম্মৰ নিমিত্তকাৰণ হবলৈ পালোঁ; কিয়নো মোৰ এটি পবিত্ৰ বাসনা পূৰাবলৈ কৰা তোমাৰ অব্যৰ্থ কৌশলৰ গুণত জৰাসন্ধকৃত বন্দী হোৱা ৰাজসকলৰ মুক্তিলাভ হল। সেইবাবে চন্দ্ৰ-দিবাকৰ আছে-মানে তোমাৰ যশস্যা বৈ-বৈ থাকিব। সি যি হওক, এতিয়া মোৰ সংকল্প কি উপায়েৰে কাৰ্য্যত পৰিণত কৰি তুলিব পাৰোঁ, তাৰ চিন্তা-আলোচনা হে আটাইতকৈ আগ হৈছে। এই বিষয়ত ইমানলৈকে তোমাৰপৰা আশাতীত উপকাৰ পাইছোঁহক; সেইবাবে মোৰ কৃতজ্ঞতা গ্ৰহণ কৰিবাঁ। আমাৰ প্ৰতি তোমাৰ নিঃস্বাৰ্থ প্ৰেম জগতত অতুলনীয়। কিন্তু, সেইবুলি তোমাক বহুকাল নিগাজীকৈ আমাৰ কাৰ্য্যতে লগাই ৰাখিবলৈ বাঞ্ছা কৰাটো স্বাৰ্থপৰতাৰ নিদৰ্শন হব। এতেকে, যথাসময়ত তোমাৰ উপস্থিতি আকৌ অপৰিহাৰ্য্য নোহোৱালৈকে তোমাক আৰু দীঘলাই আমনি কৰিব নোখোজোঁ। তথাপি, মোৰ সংকল্পিত ৰাজসূয়-যজ্ঞ অনুষ্ঠানৰ অনুকূলাৰ্থে তোমাৰ সাকৰা উপদেশ সম্প্ৰতি যি প্ৰয়োজন তাক পাবলৈ বাঞ্ছা কৰোঁ।” এই কেই-আষাৰ কথা কৈয়ে ভাবেধৰা সৰল প্ৰাণ ধৰ্ম্মৰাজ যুধিষ্ঠিৰ মৌন হল।

স্ব-কাণে সজ্ঞানে নিজৰ প্ৰশংসা শুনিবলৈ স্বভাৱতে কাতৰ, বিনয়ী শ্ৰীকৃষ্ণদেৱে অগ্ৰজপ্ৰতিম স্নেহাস্পদ ৰজা যুধিষ্ঠিৰৰ সৰল উক্তি ধৈৰ্য্যতাৰে মৈতে শুনি থাকি, স্থিৰ-গম্ভীৰভাৱে এই বুলি গোটাদিয়েক পৰামৰ্শ দি, অগত্যা সম্প্ৰতিকৰ অৰ্থে পৰম সুহৃদ্ পাণ্ডৱবান্ধৱৰ ওচৰত বিদায় মাগিলে,—“মহাৰাজ! আপুনি মোৰ অগ্ৰজতুল্য শ্ৰদ্ধাৰ পাত্ৰ; আপুনি মোৰ গুণকীৰ্ত্তন অত্যাধিক বঢ়াই কৰাটো অসহ্য হলেও মোৰ মাতিবৰ একিয়াৰ নাই। সেই দেখি সেই ছোৱা এৰিছোঁ; পাচৰ ছোৱাৰ সমিচাৰত মোৰ চমু পৰামৰ্শ এই যে, আপোনাৰ সংকল্পিত মহানুষ্ঠান ৰাজসূয়-যজ্ঞৰ যুগুত আয়োজনৰ উদ্দেশ্যে সবাতকৈ আগধৰি পাণ্ডৱ-দিগ্বিজয় সমাধা কৰাৰ প্ৰয়োজন। আগধৰি সেই উদ্দেশ্য সিদ্ধি নোহোৱাকৈ মহাযজ্ঞৰ পৰৱৰ্ত্তী আয়োজনত ধৰাটো বাঞ্ছনীয় নহব। বিশেষতঃ দিগ্বিজয়ৰ লগে লগেই ৰাজসূয় মহাযজ্ঞলৈ লাগতিয়াল সামগ্ৰীও যুগুত হৈ উঠিব। এতেকে, সেই অৰ্থে আপোনাৰ চাৰি বীৰ ভ্ৰাতৃক চাৰি দিশলৈ দিগ্বিজয় কাৰ্য্যত যথা আয়োজনেৰে যাত্ৰা কৰাওক। তাৰ পাচত, দিগ্বিজয়ৰ ফলাফল চাই যজ্ঞানুষ্ঠানত ক্ৰমাৎ আগ-বাঢ়িবলৈ চাব। আৰু, মোৰ উপস্থিতি যেতিয়াই লগা হয়, তেতিয়াই মোলৈ বাতৰি দিয়ে যেন। যথাসময়ত যি হয় কৰা যাব; সম্প্ৰতি মই আপোনালোকৰ ওচৰত বিদায় হে মাগিছোঁ।” এই বুলি শ্ৰীকৃষ্ণদেৱে পঞ্চ-পাণ্ডৱক এজন-এজনকৈ গাঢ়তম আলিঙ্গন দি, অন্তঃপুৰত পেহীদেৱাক কুন্তীদেৱী, দ্ৰৌপদীদেৱী আৰু সুভদ্ৰাদেৱীৰ ওচৰত সাদৰী বচনেৰে স্নেহগদ্‌গদ চিত্তেৰে বিদায় লৈ স্বৰাজ্য দ্বাৰকালৈ প্ৰত্যাগমন কৰিলে।

দ্বিতীয় ছেদ

পাণ্ডৱৰ দিগ্বিজয়

শ্ৰীকৃষ্ণ দ্বাৰকালৈ উলটি যোৱাৰ পাচত, তেওঁৰ উপদেশ অনুসৰি ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱ চাৰি পাণ্ডৱে ভাৰতৰ চাৰিভিতে দিগ্বিজয় কৰিবৰ উদ্দেশ্যে যথা আয়োজনেৰে যাত্ৰা কৰিলে। সেই বিপুল পাণ্ডৱ দিগ্বিজয়ৰ চমু বৰ্ণনা এই:[১]

১। **অৰ্জ্জুনৰ দিগ্বিজয়।**—শ্ৰীকৃষ্ণদেৱে দি যোৱা দিহা অনুসৰি ধনুৰ্দ্ধৰ অৰ্জ্জুন উত্তৰমুখে দিগ্বিজয়লৈ ওলাল।

(১) মহাভাৰত, সভাপৰ্ব্ব, ২৫—৩২ আধ্যা। এই আঠ আধ্যা দিগ্বিজয় পৰ্ব্বাধ্যায় নামেও অভিহিত।

উত্তৰপৰীয়া ৰজাসকল বৰ প্ৰতাপী বুলি প্ৰখ্যাত আৰু ধনুৰ্ব্বিদ্যাত অত্যন্ত প্ৰোক্ত হেতুকে সেই কালৰ দিগ্বিজয় অৰ্জ্জুনৰ ভাগত পৰে। অৰ্জ্জুনে পোন্-প্ৰথম যাত্ৰাতে কুলিন্দৰ ৰজাক জিনি লৈ, কুলিন্দ, কালকূট, আনৰ্ত্ত, শাকল দ্বীপ, বিন্ধ্যাগিৰিৰ দেশপুঞ্জ ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ তলতীয়া কৰি থৈ, দিগ্বিজয়ৰ বিজয়যাত্ৰা আৰম্ভ কৰে। তাৰপৰা গৈয়ে তেওঁ বৰ্ম্ম, সুদ্বীপ, সুমণ্ডল, প্ৰতিবিন্ধ্য প্ৰমুখ্যে কেইবাজনো ৰজাক ৰণত ঘটুৱাই পাণ্ডৱৰ অধীনতা স্বীকাৰ কৰায়। তাৰ পাচত, অৰ্জ্জুন প্ৰাগ্‌জ্যোতিষপুৰত উপনীত হয় হি। সেই কালত সেই ৰাজ্যৰ অধিপতি আছিল সুপ্ৰখ্যাত ৰজা ভগদত্ত। ভগদত্ত এজন মহাপৰাক্ৰমী আৰু অভিমানী ৰজা; তেওঁ বিনা-ৰণে বাট এৰি দিয়া লোকপতি নহয়। গতিকে, দুই মহাবীৰ অৰ্জ্জুন আৰু ভগদত্তৰ মাজত এখন তন্ময়া যুদ্ধ লাগি উঠে। ভগদত্তৰ অলেখ কিৰাত সেনা-সামন্তক সহজে অন্ত কৰা সম্ভৱপৰ নহয়; আঠ দিন আঠ ৰাতি একেৰাহে ৰণ চলিছে, কিন্তু কাকো কোনেও জিনিব পৰা নাই। শেহান্তৰত দুয়ো দুইৰো বল-বীৰ্য্যৰ পৰিচয় পাই মোহিত হয়, আৰু সেই গুণেই ৰণ এৰি মিত্ৰতা স্থাপন কৰে। সেই আপাহতে ভগদত্ত ৰজাই বিপুল অৰ্থ-সামগ্ৰী অৰ্পণ কৰি ধৰ্ম্ম যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞৰ অনুষ্ঠান সমৰ্থন কৰে।[১] তাৰ পাচত, কামৰূপৰ আৰু ভালেমান ৰজাক জিনি উলুপীপতি পাৰ্থবীৰ মণিপুৰত উপনীত হয়গৈ। মণিপুৰৰ ৰজাই পূৰ্ব্বৰ জীয়াৰী সম্বন্ধৰ মিত্ৰতা বান্ধ দৃঢ়তৰ কৰাৰ উদ্দেশ্যে, ততালিকে অৰ্জ্জুনৰ প্ৰস্তাব অনুসৰি বহু অৰ্থ-সামগ্ৰীৰে সৈতে ওলগ লৈ, ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ সংকল্পিত ৰাজসূয়-যজ্ঞলৈ সহানুভূতি জ্ঞাপন কৰে।[২] ইয়াৰ পাচত, ক্ৰমাৎ দেৱকী, সুদাম, সোণাবিন্দু, পৌৰৱ প্ৰভৃতি দেশৰ ৰাজন্যবৰ্গক জিনি অৰ্জ্জুনে, লোহিত মণ্ডল, ত্ৰিগৰ্ত্তমণ্ডল, সিংহপুৰৰ বাহ্লীক, দৰদ, কোকনদ প্ৰভৃতিক শৰণাগত কৰি উঠি, কামগিৰিত প্ৰৱেশ কৰেহি। অসংখ্যাত-মনোহৰ অশ্ব, শুক মৈৰা আদিৰে পৰিপুৰ এই ৰাজ্যৰ[৩] শোভা দেখি অৰ্জ্জুন মোহিত হয়, আৰু নিৰ্ব্বিবাদে ইয়াক সামৰিব নোৱাৰি তেওঁ অগত্যা ৰণ দি জিনিব লগাত পৰে। তাৰপাচত, বিদৰ্ভাৰ অধিপতি শ্ৰীকৃষ্ণৰ শহুৰদেৱ ভীষ্মক ৰজাই দূতৰ মুখে বাৰ্ত্তা পায়েই অতিশয় হৰ্ষচিত্তেৰে ওলগ লৈ নিজ সহানুভূতি জ্ঞাপন কৰে। সদৌশেহত, হৰিবৰ্ষ নামে ৰাজ্যখণ্ডলৈ প্ৰৱেশ কৰি অৰ্জ্জুনে তাৰ দ্বাৰপাল সকলৰ জৰিয়তে পাণ্ডৱৰাজৰ ৰাজসূয়-যজ্ঞলৈ সেই ৰাজৰ সহানুভূতি লাভ কৰে। এই অনুক্ৰমে মহাবীৰ ধনঞ্জয়ে উত্তৰপৰীয়া প্ৰখ্যাত ৰজা-মহাৰজাসকলক জিনি, সিবিলাকৰপৰা অধীনতা স্বীকাৰৰ চিন্-স্বৰূপ বিস্তৰ অৰ্থ-সামগ্ৰীৰে সৈতে ওলগ সংগ্ৰহ কৰি আনি ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ পদত সঁপি দিলেহি,[৪] আৰু তদ্দ্বাৰাই পাণ্ডৱবান্ধৱ শ্ৰীকৃষ্ণদেৱৰ উপদেশ কাৰ্য্যত পৰিণত কৰিলে।

২। **ভীমসেনৰ দিগ্বিজয়।**—বহুসংখ্যক সৈন্য লৈ মহাবীৰ বৃকোদৰ পছিমমুখে দিগ্বিজয়লৈ বাজ হয়। তেওঁ পোন্ প্ৰথমে নিজৰ পূজনীয় শহুৰদেৱাক দ্ৰুপদ ৰজাৰ ৰাজ্য পাঞ্চালত প্ৰৱেশ কৰেগৈ। প্ৰতাপী পাঞ্চালৰাজে পাণ্ডৱৰ দিগ্বিজয়ৰ বাৰ্ত্তাত পৰম সন্তোষেৰে ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞ সম্পাদনত সৰ্ব্বতোভাৱে সহায় কৰিবলৈ সন্মতি জ্ঞাপন কৰি যথাযোগ্য ৰাজ-মাননীৰে সৈতে মিত্ৰৰজাৰ ওলগ ললে। তাৰ পাচত, বিদেহ ৰাজ্য জিনি, ভীমসেনে দৰ্শান প্ৰদেশৰ অধিপতি সুধৰ্ম্মা নৃপতিৰ ওলগ গ্ৰহণ কৰি বৰ সন্তোষেৰে তেওঁক নিজৰ সেনাপতি কৰি লয়। অশ্বমেধেশ্বৰ মহাৰজা ৰোচমানে পোনতে বশ্যতা স্বীকাৰ নকৰিছিল; গতিকে তেওঁক ৰণত পৰাস্ত কৰি ভীমসেনে তেওঁৰপৰা কৰতলীয়া ৰজাৰূপে ওলগ আদায় কৰে। ইয়াৰ পাচত, ভীমসেনে ক্ৰমশঃ পুলিন্দৰ নৰপতি সুকুমাৰ সুমিত্ৰক জিনি, চেদীৰাজ্যৰ অধীশ্বৰ শিশুপাল ৰজাৰ নগৰত প্ৰৱেশ কৰিলেগৈ। যাত্ৰাকালত ধৰ্ম্মৰাজ যুধিষ্ঠিৰে এই

(১) মহাভাৰত, সভাপৰ্ব্ব, দ্বিগ্বিজয় পৰ্ব্বাধ্যায়, ২৬ আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, দ্বিগ্বিজয় পৰ্ব্বাধ্যায়, ২৭ আধ্যা।

(৩) মহাভাৰত, সভাপৰ্ব্ব, দিগ্বিজয় পৰ্ব্বাধ্যায়, ২৭ আধ্যা।

(৪) মহাভাৰত, সভাপৰ্ব্ব, দিগ্বিজয় পৰ্ব্বাধ্যায়, ২৮ আধ্যা।

উপদেশ দি পঠিয়াইছিল যে, শিশুপাল বৰ প্ৰতাপী আৰু অভিমানী ৰজা ; সেই হেতুকে তেওঁক কষ্ট নকৰি পাৰ্য্যমানে তুষ্ট কৰি উদ্দেশ্য সিদ্ধি কৰিবলৈ চাব লাগে। সেই অনুসৰি; মহা অভিমানী বৃকোদৰেও মৌনব্ৰত ধৰি হে তেওঁৰ কাষ চাপে গৈ। সেই আচৰণত প্ৰীত হৈ শিশুপালে যথা সমাদৰে পাণ্ডৱ কোৱঁৰক অভ্যৰ্থনা কৰি নি তেওঁৰ ৰাজপুৰীত ডেৰকুৰি দিন অতিথিসৎকাৰ কৰে, আৰু সদৌশেহত মহানন্দে ৰাজ-কৰ শোধাই ৰজা যুধিষ্ঠিৰলৈ ওলগ লয়।[১] চেদীৰপৰা গৈয়ে উত্তৰ কোশল ৰাজ্যৰ অযোধ্যা নগৰত দীৰ্ঘযজ্ঞ ৰজাৰে সৈতে ভীমসেনে এখন তয়াময়া ৰণ দিব লগাত পৰে ; ৰণত-ঘাটি দীৰ্ঘযজ্ঞ ৰজাই বশ্যতা স্বীকাৰ কৰি পাণ্ডৱ ৰাজৰ ওলগ লয়। তাৰ পাচত, মল্ল, ভল্লাট, কাশী, কোশল এই কেইখনৰাজ্যৰ ৰজাক বশ কৰি সিবিলাকৰপৰা ওলগ আৰু ৰাজকৰ আদায় কৰি লৈ, মৎস্যদেশ, নিষাদনগৰ প্ৰভৃতি জিনি লৈ, পৰম উলাহিত হৈ মহাপৰাক্ৰমী বৃকোদৰে মিথিলাধিপতি মণিখণ্ড ৰজাৰপৰা মিত্ৰৰাজৰ ওলগ আদায় কৰে গৈ। ইয়াৰ পাচত, মগধ-ৰাজ্যৰ ৰাজধানী গিৰিব্ৰজত উপস্থিত হোৱা মাত্ৰে নতুন ৰজা সহদেৱে অতি আগ্ৰহেৰে পাণ্ডৱৰাজলৈ মিত্ৰৰাজৰ ওলগ আগবঢ়াই ভীমসেনক যথাসমাদৰে বিদায় দিয়ে। এই অনুক্ৰমে ক্ৰমাৎ আগুৱাই গৈ ভীমসেনে পুণ্ড্ৰৰাজ্যৰ অধিপতি মহা অভিমানী ৰজা বাসুদেৱক বশ কৰি তেওঁৰ পৰা ৰাজকৰ আদায় কৰে। সদৌশেহত, বঙ্গদেশত প্ৰৱেশ কৰি সমুদ্ৰসেন, চন্দ্ৰসেন প্ৰভৃতি সাগৰপৰীয়া ভূপতি-বৰ্গক জিনি, সিবিলাকৰপৰা ওলগ সমন্বিতে ৰাজকৰ আদায় কৰি লৈ, মহাদৰ্পে ভীমসেনে ইন্দ্ৰপ্ৰস্থলৈ উলটি আহি তেওঁৰ দিগ্বিজয়ৰ সমল-বাৰ্ত্তা অগ্ৰজ ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ পদত অৰ্পণ কৰিলেহি ;[২] পাণ্ডৱহিতাশী শ্ৰীকৃষ্ণদেৱৰ দিহাকৰণ আৰু হিতোপদেশ অনুযায়ী কাৰ্য্য সম্পাদিত হোৱাত পাণ্ডৱৰাজ হৰষিত হল।

৩। **সহদেৱৰ দিগ্বিজয়**—দক্ষিণৰ দিগ্বিজয় ভূমলীয়া পাণ্ডৱ সহদেৱৰ ভাগ্যত পৰে। তেওঁ আটাইকেইওজনতকৈ অধিক সৈন্যসামন্ত লগত লৈ দক্ষিণভাৰত দিগ্বিজয়ৰ উদ্দেশে যাত্ৰা কৰে। যাত্ৰাৰ আৰম্ভণতে মথুৰাধিপতি শূৰসেনৰ ৰাজ্যত প্ৰৱেশ কৰি সহদেৱে তেওঁৰপৰা মিত্ৰৰাজৰ ওলগ গ্ৰহণ কৰে। শূৰসেনে ধৰ্ম্ম-যুধিষ্ঠিৰৰ সংকল্পিত ৰাজসূয়-যজ্ঞলৈ সৰল আৰু সম্পূৰ্ণ সহানুভূতিৰ চিন্ স্বৰূপে বহু অৰ্থসামগ্ৰী অৰ্পণ কৰে। তাৰ পাচত, কনিষ্ঠ পাণ্ডৱ কোৱঁৰে মৎস্যদেশ জয় কৰি উঠি, অধিৰাজ, দন্তবক্ৰ,সুকুমাৰ, সুমিত্ৰ ৰাজন্যবৰ্গক অধীনতা স্বীকাৰ কৰাই লৈ, নিষাদৰ অধিপতি গো-শৃঙ্গ, শ্ৰেণীমান প্ৰভৃতি ৰজাক হেলাৰঙ্গে জিনি, চতুৰঙ্গদলে সৈতে কুন্তিভোজ ৰাজ্যত প্ৰৱেশ কৰেগৈ ; কুন্তিভোজৰ ৰজাই প্ৰীতিমনেৰে পাণ্ডৱৰ শাসন মানি তলতীয়া ৰজাৰূপে ওলগ লয়।[৩] সেই একে চোচাতে কনিষ্ঠ কোৱঁৰ অৱন্তি নগৰত প্ৰৱেশ কৰাত সেই ৰাজ্যৰ ৰজা বিন্দ-অনুবিন্দই স্ব-ইচ্ছাৰে বহু ধন-ৰত্ন দি পাণ্ডৱৰাজৰ ওলগ লয়। ইয়াৰ পাচত, ক্ৰমাৎ কান্তাৰ, কোশল, হেৰম্ব, মাৰুধ, মঞ্জগ্ৰাম, পাণ্ড্যদেশ প্ৰভৃতি অনায়াসে জয় কৰি সহদেৱ কোৱঁৰে কিষ্কিন্ধ্যা-ৰাজ্যত প্ৰৱেশ কৰেগৈ। মৈন্দ আৰু দ্বিবিধ নামে দুজন কপিপতিয়ে পৰসৈন্য নিজ ৰাজ্যত প্ৰৱেশ কৰা দেখা পাই শিলদলি, গছৰডাল ইত্যাদিৰে সজ্জিত অগণন কপি বণুৱাৰে সৈতে খেদি আহিল। এইখিনিতে নৰ-বান্দৰৰ মাজত এখন তয়ামহা ৰণ লাগে। সাত দিন সাত ৰাতি[৪] একেৰাহে ৰণ লাগিবই লাগিছে, কিন্তু কোনো পক্ষৰে জয়-পৰাজয়ৰ চিন্ দেখা নাযায়। শেহান্তৰত দুয়ো পক্ষে দুয়োৰো বল-বিক্ৰমৰ পৰিচয় পাই আচৰিত হৈ পৰস্পৰৰ আঁতিগুৰি লোৱালুই কৰিবলৈ ধৰে ; ফলত পাণ্ডৱ-ৰাজ ধৰ্ম্ম-যুধিষ্ঠিৰে যাদৱপতি শ্ৰীকৃষ্ণদেৱৰ উপদেশ আৰু পৰামৰ্শ অনুসৰি ৰাজসূয়-যজ্ঞৰ অনুষ্ঠান কৰাৰ

(১) মহাভাৰত, সভাপৰ্ব্ব, দিগ্বিজয় পৰ্ব্বাধ্যায়, ২৯ আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, দিগ্বিজয় পৰ্ব্বাধ্যায়, ৩০ আধ্যা।

(৩) মহাভাৰত, সভাপৰ্ব্ব, দিগ্বিজয় পৰ্ব্বাধ্যায়, ৩২ আধ্যা।

(৪) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৩৩ আধ্যা।

উদ্দেশ্যত উপস্থিত দিগ্বিজয় হোৱা জানিবলৈ পাই. কপিৰাজে ৰণ এৰি মিত্ৰতা কৰিবলৈ প্ৰস্তাৱ আগ বঢ়ায়। আৰু, সেই প্ৰস্তাৱ উভয় পক্ষৰ সম্মতিক্ৰমে গৃহীত হোৱাত, কপিপতিয়ে বহু ধন-ৰত্নেৰে পাণ্ডৱৰ ওলগ লৈ, আগন্তুক ৰাজসূয় যজ্ঞত সৰ্ব্বতোভাৱে সহায় কৰিবলৈ প্ৰতিশ্ৰুত হয়। ইয়াৰ পাচত, আকৌ এখন নৰ-বান্দৰৰ ৰণ লাগে। সহদেৱক সসৈন্যে মাহিষ্মতীপুৰত প্ৰৱেশ কৰা দেখি সেই ৰাজ্যৰ অধিপতি মহাতেজী নীল ৰজাই বিষম বিক্ৰমেৰে আক্ৰমণ কৰে। ইথন ৰণ আগৰ খনতকৈও একাঠী চৰা। সুদীৰ্ঘ যুদ্ধৰ সামৰণিত দুয়ো পক্ষৰ ভিতৰত মিত্ৰতা স্থাপিত হয়, আৰু নীল ৰজাই বহু অৰ্থ-সামগ্ৰীৰে সৈতে ওলগ লৈ পাণ্ডৱৰাজৰ প্ৰস্তাৱিত ৰাজসূয়-যজ্ঞানুষ্ঠানত সৰ্ব্বতোভাৱে সহায় কৰিবলৈ অঙ্গীকৃত হয়। ইয়াৰ পাচত, ক্ৰমাৎ আগুৱাই গৈ দিগ্বিজয়ী পাণ্ডৱ কোঁৱৰে ত্ৰিপুৰ, কৌশিক, সুৰাষ্ট্ৰভোজ, কটক প্ৰভৃতি ৰাজ্যত প্ৰৱেশ কৰি সেইবোৰ ৰাজ্যৰ ৰজাগণক এজন-এজনকৈ বলেৰে অধীনতা স্বীকাৰ কৰায়। এইখিনিতে ভীষ্মকনন্দন ৰুক্মী ৰজাৰে সৈতে এখন ঘোৰতৰ ৰণ লাগে। পূৰ্ব্বশত্ৰু শ্ৰীকৃষ্ণ এই দিগ্বিজয়ত যোগ থকা গম্ পাই ৰুক্মীবীৰ জ্বলি উঠিল; শ্ৰীকৃষ্ণ-উদ্দেশীয়া ক্ৰোধ তেওঁৰ পাণ্ডৱ-বন্ধু সহদেৱ কোঁৱৰৰ ওপৰত সাৰিবৰ মানসে ৰুক্মীবীৰে অভ্ৰংলেহী হুতাশনৰত শত্ৰু-পক্ষক গৰাহ মাৰি ধৰিলেগৈ। কিন্তু, অলপ সময়ৰ ভিতৰতে ৰণত ঘাটিলত, তেওঁ ৰাজকৰ আগ বঢ়াই পাণ্ডৱৰ প্ৰাধান্যতা স্বীকাৰ কৰি, কৃষ্ণভক্ত ধৰ্ম্ম-যুধিষ্ঠিৰৰ সংকল্পিত ৰাজসূয়-যজ্ঞানুষ্ঠানত সহায় হবলৈ অঙ্গীকাৰ কৰে। তাৰ পাচত, দণ্ডকাৰণ্যৰ শূৰ্পাকৰ ৰজাৰপৰা ওলগ লৈ, সাগৰপৰীয়া কিৰাতবৰ্গক বশ কৰি, দুমলীয়া পাণ্ডুনন্দন দীৰ্ঘকৰ্ণ ৰাজ্যত উপস্থিত হয় গৈ। সেই বৰকণা-ৰাজ্যৰ প্ৰজাৰ ৰূপ দেখিলেই ভয় লাগে; কিন্তু, সিইতক অতি অলপ সময়ৰ ভিতৰতে বশ কৰা হয়। সেই অনুক্ৰমে কালমুখ, হ্ৰস্বমুখ, কোলগিৰি, তাম্ৰদ্বীপ, ৰামগিৰি প্ৰভৃতি ৰাজ্যৰ ৰজাবৰ্গক অনায়াসে জিনি লৈ, একপাদ ৰাজ্যত অলপ বাধকতা সহিব লগা হয়। সামৰণিত সঞ্জয়ন্তী, কৰ্ণাট, কলিঙ্গ, পাণ্ড্য, দ্ৰাবিড়, কেৰল, উষ্ট্ৰ, আটবীৰ, সেতুবন্ধ, এইবোৰ দেশলৈ কটকী পঠিয়াই তাৰ অধিপতিসকলৰে সৈতে মিত্ৰতা স্থাপন কৰি পাণ্ডৱ ৰাজৰ সংকল্পিত ৰাজসূয়-যজ্ঞ উপলক্ষে ওলগ লোৱা হয়। সদৌশেহত, সাগৰপ্ৰান্তত লঙ্কাৰ অধিপতি বিভীষণৰপৰা মিত্ৰৰাজৰ ওলগনি গ্ৰহণ কৰা হয়![1] এই অনুক্ৰমে দক্ষিণ-ভাৰত দিগ্বিজয়ৰ ফলস্বৰূপ অপৰিমিত ধন-ৰত্ন, অৰ্থ-সামগ্ৰী, আহিলা-পাতি আদি সংগ্ৰহ কৰি আনি দুমলীয়া ভ্ৰাতৃ সহদেৱে অগ্ৰজ ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ পাৱত সঁপি দিলেহি।

৪। **নকুলৰ দিগ্বিজয়।**—নিৰ্দ্ধাৰিত বাৰ অনুসৰি, লাগতিয়াল সংখ্যক হাতী-ঘোঁৰা, ৰথ-ৰথী আৰু বহুল পদাতি ৰণুৱা লৈ চতুৰ্থ পাণ্ডৱ নকুলে পছিমমুখে দিগ্বিজয়লৈ যাত্ৰা কৰে। তেওঁ পোনেই ওলায়েই ৰোহিতক ৰাজ্যৰ ৰজাৰে সৈতে এখন ঘোৰতৰ ৰণ পাতিবগৈ লগা হয়। ৰণত ৰোহিতকৰ ৰজা ঘাটিল। সেই পৰাজয়ৰ ফল স্বৰূপ তেওঁ ৰাজকৰ আৰু পেচ্‌কচ্ শোধাবলৈ গাত লৈ পাণ্ডৱ-ৰাজৰ অধীনতা স্বীকাৰ কৰে। তাৰ পাচত মালৱ, শিবীৰ, শিবি, বৰ্ব্বৰ, পুষ্কৰ এইবোৰ ৰাজ্যৰ ৰজাসকলক জিনি লৈ, বীৰবৰ নকুল সিন্ধুপৰীয়া ৰাজ্যত উপনীত হয়গৈ, আৰু সেই লাচতে সৰস্বতী নদীৰ কাষৰীয়া ৰজাবিলাকক এজন-এজনকৈ জিনি অস্ত কৰি তেওঁ থৰক, কণ্টক প্ৰভৃতি পঞ্চনদৰ (পঞ্জাব) অন্তৰ্গত দেশৰ ৰজাসকলক পাণ্ডৱ-ৰাজৰ তলতীয়া কৰি লৈ সৌতিকপুৰত প্ৰৱেশ কৰেগৈ। সেই ৰাজ্যৰ ৰজাক হাত কৰি লৈ তাৰপৰাই বৃন্দাৰক, দ্বাৰপাল, প্ৰতিবিন্ধ্য আদি নৰপতিসকলৰ ওচৰলৈ কটকী পঠিয়াই পাণ্ডৱ কোঁৱৰে মতাই আনি বশ্যতা স্বীকাৰ কৰায়, আৰু তাৰেপৰা দ্বাৰকা নগৰলৈকো কটকী পঠিওৱা হয়। শ্ৰীকৃষ্ণই পাণ্ডৱ দিগ্বিজয়ৰ বাতৰিত পৰম প্ৰীতি লাভ কৰি ৰাজসূয়-যজ্ঞোপযোগী বিপুল অৰ্থ-সামগ্ৰী,

---

(১) এওঁকেই ত্ৰেতাৰ ৰামভক্ত ধৰ্ম্মাত্মা বিভীষণ বুলি এভাগে ঠাৰবায়। ত্ৰেতাৰ 'অমৰ' (?) বিভীষণ দ্বাপৰলৈকে জীয়াই থকাটো পতিয়াব পৰা নহলেও, তেওঁৰ বহুপুৰুষৰ পাচৰ কোনোবা এজন বিভীষণ নামক বংশধৰ ৰজা বুলি মানিব পৰা যায়।

আহিলা-পাতি আদিৰে সৈতে কটকীৰ জৰিয়তে ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ ওলগ লৈ সৰ্ব্বতোভাৱে যাদৱ-সহানুভূতি জ্ঞাপন কৰে। তাৰ পাচত, মহা উলাহেৰে মাদ্ৰীনন্দন মদ্ৰৰাজ্যত প্ৰৱেশ কৰেগৈ; মোমাইদেৱাক মদ্ৰাধিপতি শল্য নৰপতিয়ে ভাগিনৰ দিগ্বিজয় উপলক্ষীয় আগমনত পৰম সন্তোষ লাভ কৰি বিস্তৰ আত্মীয় উপহাৰ আৰু ৰাজকীয় ওলগনিত অৰ্থ-সামগ্ৰী বঢ়াই ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞ অনুষ্ঠানলৈ সহানুভূতি জ্ঞাপন কৰে। সামৰণিত সাগৰপৰীয়া দুৰ্দ্দান্ত যৱন ৰজাগণক এজন-এজনকৈ জিনি, সকলোকে শৰণীয়া কৰি পাণ্ডৱ কোঁৱৰ নকুলে মহোল্লাসে ইন্দ্ৰপ্ৰস্থলৈ উলটি আহি অগ্ৰজ মহাৰাজ যুধিষ্ঠিৰৰ পদত দিগ্বিজয়ৰ বিপুল সম্ভাৰ[১] অৰ্পণ কৰিলেহি।

কনিষ্ঠ চাৰি-পাণ্ডৱৰ দিগ্বিজয়ৰ ফলাফলত সৰ্ব্বজ্যেষ্ঠ পাণ্ডৱ-ৰজা যুধিষ্ঠিৰৰ অন্তৰত অপাৰ আনন্দ হল। ভাৰতৰ চাৰিওদিশৰপৰা জিনি অনা ধন-ৰত্নৰ উপৰি, মিত্ৰৰাজ আৰু কৰতলীয়া ৰজাসকলে ওলগ ধৰি পঠিওৱা অৰ্থ-সামগ্ৰী আৰু আহিলা-পাতি ৰাজভঁড়ালে নধৰা হল, গতিকে, তাৰ নিমিত্তে ততালিকে নতুন ব্যৱস্থা কৰি তাক আগন্তুক ৰাজসূয়-যজ্ঞোপলক্ষে যুগুতকৈ ৰখা হল।

একবিংশ আধ্যা

শ্ৰীকৃষ্ণৰ ইন্দ্ৰপ্ৰস্থলৈ পুনৰাগমন

ৰাজসূয়যজ্ঞৰ দিহাকৰণ

পূবে কামৰূপৰ অন্তৰ্ভুক্ত কুণ্ডিল নগৰ, পচিমে দ্বাৰকা, উত্তৰে হিমালয়, দক্ষিণে কুমাৰিকা, সেতুবন্ধন-ৰামেশ্বৰ আৰু লঙ্কাদ্বীপ এই চতুঃসীমাৰ অন্তৰ্গত ভাৰতবৰ্ষৰ সকৰৰ সকলো ৰজা-মহাৰজা স্বীকৃত, কৰদ আৰু মিত্ৰৰাজ হৈ উঠাত, ধৰ্ম্মৰাজ যুধিষ্ঠিৰে ৰাজসূয়-যজ্ঞ পাতিবলৈ কৃতসংকল্প হৈ সেই বিষয়ে কুৰুৰাজবংশী নিজৰ আত্মীয়-কুটুম্বাদিৰ আগলৈ তাৰ প্ৰস্তাৱনা আগ বঢ়ালে। পোন্-প্ৰথমে পাণ্ডৱৰাজ যুধিষ্ঠিৰে বৃদ্ধৰজা ধৃতৰাষ্ট্ৰ, পিতামহ ভীষ্মদেৱ আৰু দদাইদেৱাক বিদুৰৰ ওচৰত সেই বিষয়ক আলোচনা স্বয়ং উত্থাপন কৰিলেগৈ। সিবিলাক তিনিও অতি আনন্দেৰে অনুমোদন কৰাত, সেই আলোচনাৰ সিদ্ধান্ত দুৰ্য্যোধন, দুঃশাসন প্ৰমুখ্যে কৌৰৱ কোঁৱৰবৰ্গক জনোৱা হয়। সিবিলাকৰ ভিতৰত জনচেৰেকৰ, বিশেষকৈ দুৰ্য্যোধনৰ অন্তৰত ভাল লগা নাছিল যদিও, কুৰু-পাণ্ডৱৰ ঘাই ঘাই অভিভাৱক তিনিজনৰ অনুমোদন অৱহেলি সিবিলাকে সেই সিদ্ধান্তৰ বিৰুদ্ধে মাতিবলৈ সাহ নকৰিলে। গতিকে, ইন্দ্ৰপ্ৰস্থৰ ৰজা ধৰ্ম্ম-যুধিষ্ঠিৰে ৰাজসূয়-যজ্ঞ পতাটো কুৰুবংশৰ মাজত সৰ্ব্ববাদীসম্মতৰূপে গৃহীত হল।

তাৰ পাচত, কি প্ৰণালীৰে সেই মহাযজ্ঞৰ কাৰ্য্য আৰম্ভ কৰা যাব, সেই বিষয়ক পৰামৰ্শ আহ্বান কৰাত, বিজ্ঞ বিদুৰ আৰু পিতামহ ভীষ্মই এই উপদেশ দিলে যে, সেই বিষয়ে আগধৰি ৰাজনৈতিক মহাপণ্ডিত শ্ৰীকৃষ্ণদেৱৰ উপদেশ গ্ৰহণ কৰা বাঞ্ছনীয়। সেই অনুসৰি, ইন্দ্ৰপ্ৰস্থৰপৰা দ্বাৰকালৈ এজন বিশিষ্ট কটকী অনতিপলমে পঠিওৱা হয়।

ইফালে ইন্দ্ৰপ্ৰস্থত যি হব লাগিছে, সিফালে দ্বাৰকাত বুজা-গৰাকীয়ে কিন্তু বুজি আছিল। এনেতে পাণ্ডৱ-ৰাজ যুধিষ্ঠিৰৰ আহ্বান পাই পাণ্ডৱ-বান্ধৱ দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণদেৱ যথাসময়ত আহি ইন্দ্ৰপ্ৰস্থত উপস্থিত হলহি। কৌৰৱ-কোঁৱৰসকলে, ঘাইকৈ কুৰু-পাণ্ডৱৰ ঘাই গুৰিয়াল তিনি-জনে যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞ অনুমোদন কৰিছে বুলি জানি, বাসুদেৱে বৰ সন্তোষ প্ৰকাশ কৰিলে, আৰু সৰ্ব্বতোভাৱে সেই মহাযজ্ঞ সম্পাদনৰ অৰ্থে যত্ন কৰিবলৈ তেওঁ আগ বাঢ়িলে, সেই উদ্দেশ্যে পুনৰপি শ্ৰীকৃষ্ণদেৱৰ ইন্দ্ৰপ্ৰস্থ আগমনত ভৰতপুৰ আনন্দসাগৰত নিমগ্ন হল।[২]

(১) চতুৰ্থ পাণ্ডৱ নকুলৰ দিগ্বিজয়ত সংগ্ৰহ কৰা ‘মহাধনকোষ’, অৰ্থাৎ বিবিধ ধন-ৰত্ন, বস্ত্ৰ-বস্তু আদি দহ হাজাৰ উটৰ পিঠিত বোজা দি পাণ্ডৱ ৰাজধানীলৈ অনা হৈছিল।—মহাভাৰত, সভাপৰ্ব্ব, দিগ্বিজয় পৰ্ব্বাধ্যায়, ৩২ আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৩৫ আধ্যা।

শ্ৰীকৃষ্ণৰ পোন্-প্ৰথম উপদেশ এই হল যে, পাণ্ডৱ-দিগ্বিজয় অনুসৰি, আগধৰি সমগ্ৰ ভাৰতৰ ৰজা-মহাৰজা-সকলক আগন্তুক ৰাজসূয়-যজ্ঞলৈ যথা-সমাদৰে নিমন্ত্ৰণ কৰি তাৰ সমিধান গ্ৰহণ কৰিব লাগে। নিমন্ত্ৰণ পাই যদি কোনো ৰজা বা মহাৰজা যজ্ঞত যোগ দিবলৈ অসম্মত হয়, তেন্তে সেইসকল ৰজা-মহাৰজাক ৰাজনৈতিক ব্যৱস্থাৰে বলেৰে বাধ্য কৰাই যজ্ঞ-সভাত উপস্থিত কৰাব লাগিব। সেই উদ্দেশ্যে, দিগ্বিজয়ী চাৰি-পাণ্ডৱক চাৰি-দিশলৈ লাগতিয়াল ৰণ-বলৰে সৈতে যথাবিধি আকৌ প্ৰেৰণ কৰা হল।

ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱ এই চাৰি পাণ্ডৱ-কোৱঁৰক নিমন্ত্ৰণ প্ৰচাৰলৈ পঠিয়াই, ইফালে ৰাজসূয়-যজ্ঞৰ অৰ্থে যুগুত দিহাকৰণৰ ভাৰ লৈ, শ্ৰীকৃষ্ণ স্বয়ং ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ সোঁ-হাত স্বৰূপ সহায় হল। বাসুদেৱৰ সু-দিহা অনুসৰি লাগতিয়াল আগলি-আয়োজন যুগুত হৈ উঠাত, যজ্ঞ-কাৰ্য্যাৰম্ভণৰ আগেয়ে ধৰ্ম্মৰাজ যুধিষ্ঠিৰে চাৰি-ভায়েকৰে সৈতে একমন হৈ ভগবান শ্ৰীকৃষ্ণদেৱক এই বুলি গোহাৰি কৰিলে, "হে বাসুদেৱ! কেৱল তোমাৰ অনুগ্ৰহত হে আজি সমগ্ৰ ভাৰতভূমি আমাৰ অধিকৃত হৈছে; তোমাৰ প্ৰসাদত মাথোন নানা দিগ্বিদিগৰপৰা সংগৃহীত এই অতুল ঐশ্বৰ্য্যৰ আমি অধিকাৰী হৈছোঁহঁক। এতেকে, এতিয়া সেই অৰ্থ-সম্পত্তিৰ সদ্ব্যৱহাৰৰ অৰ্থে সদুপদেশ দি আমাক চৰিতাৰ্থ কৰা। আৰু, হে গোবিন্দ! তুমি এই মহাযজ্ঞত দীক্ষিত হব লাগিব, কিয়নো তুমি দীক্ষিত হলেই আমি নিষ্পাপ হব পাৰিম। নাইবা, অনুজগণৰে সৈতে মোকেই দীক্ষিত হবলৈ আজ্ঞা দিয়াঁ; তোমাৰদ্বাৰাই অনুজ্ঞাত হলেই আমি অনুত্তম যজ্ঞানুষ্ঠানৰ ফলভোগী হব পাৰিম।" তদুত্তৰত শ্ৰীকৃষ্ণদেৱে অতি বিনীতভাৱে এই সমিধান দিলে, "হে ধৰ্ম্মৰাজ! আপুনিয়েই হে মহাক্ৰতু ৰাজসূয় অনুষ্ঠানৰ উপযুক্ত পাত্ৰ; এতেকে অনতিপলমে আপুনি যজ্ঞ সমাপন কৰিলে আমি সকলোৱেই কৃতকৃত্য হম। মই হিতানুষ্ঠানত তৎপৰ হৈ থাকিলোঁ"।[১] তাৰপাচত, সেই উপলক্ষীয় কৰ্ত্তব্য কাৰ্য্যভাৰ উপযুক্ত কাৰ্য্যকাৰকৰ মাজত ভগাই দিয়াৰ উদ্দেশ্যে, শ্ৰীকৃষ্ণৰ সঙ্কেত অনুসৰি পিতামহ মহামতি ভীষ্মদেৱৰে সৈতে মহাৰাজ ধৰ্ম্ম-যুধিষ্ঠিৰে ভিতৰ-বিশ্বানত আলোচনা কৰে। তাৰ ফলস্বৰূপ, সেই মহাযজ্ঞৰ কাৰ্য্যকাৰক নেতাৰ বিষয়-বাব এইদৰে ভগাই দিবলৈ নিৰ্দ্ধাৰণ কৰা হয়।[২] যেনে,-

১। নিমন্ত্ৰিত ৰজাসকলে যজ্ঞোপলক্ষে লগত অনা কৰ-কাটল আৰু অৰ্থ-সামগ্ৰী গ্ৰহণ আৰু সামৰণৰ বাব পৰে দুৰ্য্যোধনৰ গাত।

২। ভঁড়ালি আৰু ৰাজকোষ তত্ত্বাৱধানৰ বাব পৰে বিদুৰৰ হাতত।

৩। যজ্ঞৰ বিবিধ লাগতিয়াল সঁজুলি-সামগ্ৰী আদি ৰক্ষণাবেক্ষণৰ বাব পৰে দুঃশাসনৰ ওপৰত।

৪। সমবেত ৰজা-মহাৰজাসকলক সাদৰে অভ্যৰ্থনা কৰাৰ বাব ন্যস্ত হয় সঞ্জয়ৰ হাতত।

৫। ব্ৰাহ্মণসকলৰ শুশ্ৰূষাৰ বাব দিয়া হয় অশ্বত্থমাক।

৬। ব্ৰহ্মদক্ষিণা বিতৰণৰ বাব অৰ্পণ কৰা হয় কৃপাচাৰ্য্যক।

৭। সাধাৰণ দান-বিতৰণৰ বাব দিয়া হয় দাতাকৰ্ণক।

৮। সাৰঙ্গধাৰী শ্ৰীকৃষ্ণদেৱক পতা হয় যজ্ঞৰক্ষক। *

---

(১) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায় ৩৩ আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৩৫ আধ্যা।

* মহাভাৰতৰ সভাপৰ্ব্বৰ ৪৫ আধ্যাৰ ৩৯ শ্লোকত কৈছে যে, যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞ নিৰ্ব্বিঘ্নে সম্পাদিত হৈ উঠালৈকে শ্ৰীকৃষ্ণই তেওঁৰ অজেয় সাৰঙ্গ ধনু ধৰি যজ্ঞ ৰক্ষা কৰিছিল; কিন্তু সেই পৰ্ব্বতে ৩৫ আধ্যাৰ ১০ শ্লোকত তাৰ আগতে কোৱা হৈছে যে, শ্ৰীকৃষ্ণই ব্ৰাহ্মণ-পৰিচৰ্য্যাৰ ভাৰ হে আগ্ৰহেৰে গ্ৰহণ কৰিছিল। শেহৰটো অনেকৰ মনে নধৰে। কিয়নো, শ্ৰীকৃষ্ণৰ নিচিনা বিদ্যা, বুদ্ধি, জ্ঞান, কৌশল আৰু ৰাজনীতিজ্ঞ অগাঢ পণ্ডিত এজনে ৰাজসূয়-যজ্ঞ হেন মহানুষ্ঠানত কৰিব লগীয়া লাগতিয়াল কাৰ্য্য যে ব্ৰাহ্মণৰ পদপ্ৰক্ষালন আৰু ব্ৰাহ্মণৰ পৰিচৰ্য্যা হৈছিল, সেইটো বুধজনৰ বোধে নধৰে। সেই শ্লোক যে প্ৰত্যক্ষ-ৰূপে প্ৰক্ষিপ্ত তাত দ্বিধামত নহব বুলি আমাৰ বিশ্বাস। নাইবা, তাৰদ্বাৰাই আদৰ্শ পুৰুষ শ্ৰীকৃষ্ণদেৱৰ বিনয়-নম্ৰতাৰ চূড়ান্ত আভাস দিয়া হৈছে মাথোন।

৯। পিতামহ ভীষ্মদেৱক সবাৰে ওপৰত উপদেষ্টা পতা হয়।

১০। কৰ্ত্তব্যাকৰ্ত্তব্য বিচাৰ আৰু প্ৰচাৰকৰ বাব বল দ্ৰোণাচাৰ্য্যৰ অধিকাৰত।

১১। ধৃতৰাষ্ট্ৰ, দ্ৰুপদ, সোমদত্ত আৰু প্ৰতীপ কৌৰৱৰ এই কেইজনত বল গৃহকৰ্ত্তাৰ বাব।

১২। নিমন্ত্ৰিত ৰাজ-ৰাজোৰাৰ আৰু অন্যান্য গণ্য-মান্য সমাগত জনক যথাস্থানত ভেঁটোৱা, আৰু মহাৰাজ যুধিষ্ঠিৰৰ গা-চোৱাৰ ভাৰ পৰিল মাদ্ৰীনন্দনদ্বয় নকুল আৰু সহদেৱৰ ওপৰত।

১৩। যজ্ঞ-দুৱাৰ ৰক্ষণাবেক্ষণ, পৰিদৰ্শন আৰু হঠাৎ কোনো শত্ৰু পক্ষৰ আক্ৰমণ বা অত্যাচাৰ বিমুখ কৰিবলৈ সমুখ হোৱাৰ বাব থাকিল মহাবাহু ভীমসেন আৰু মহাৰথ ধৃষ্টদ্যুম্নৰ গাত।

১৪। যজ্ঞ-মণ্ডপৰ পূব-দুৱাৰৰ ৰখীয়া-বিষয়া পতা হয় মহাবীৰ ইন্দ্ৰসেনক।

১৫। পছিম-দুৱাৰ ৰখীয়া বিষয়াৰ বাব পৰে ভীমসেন-সুত হিড়িম্বানন্দন মহাবীৰ ঘটোৎকচৰ ওপৰত।

১৬। উত্তৰ-দুৱাৰৰ দুৱৰী-বিষয়া বৰণ কৰা হয় শ্ৰীকৃষ্ণৰ নাতি প্ৰদ্যুম্ননন্দন অনিৰুদ্ধ কোঁৱৰক।

১৭। দক্ষিণ-দুৱাৰৰ অধিপতি পতা হয় দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণৰ প্ৰধান সেনাপতি সাত্যকি মহাৰথীক।

১৮। যজ্ঞৰ ভিতৰে-বাহিৰে আৰু সৰ্ব্বত্ৰে শান্তিৰক্ষা আৰু অভাবনীয় অপায় খণ্ডনৰ অসীম কাৰ্য্যভাৰ ন্যস্ত হয় মহাৰথী অৰ্জ্জুনত।

দ্বাবিংশ আধ্যা

ৰাজসূয়যজ্ঞাৰম্ভণ

যুধিষ্ঠিৰৰ ৰাজসূয়যজ্ঞাৰম্ভণৰ সময় যিমানেই ওচৰ চাপি আহিল, শ্ৰীকৃষ্ণৰ ইন্দ্ৰপ্ৰস্থত উপস্থিতি সিমানেই অপৰিহাৰ্য্য হৈ পৰিল। কিয়নো, স্বৰূপত শ্ৰীকৃষ্ণ হে এই মহাযজ্ঞৰ মূলশক্তি। ইয়াৰ প্ৰস্তাৱনাত কৃষ্ণ, আলোচনাত কৃষ্ণ, পৰামৰ্শত কৃষ্ণ, উপদেশত কৃষ্ণ, কাৰ্য্য-পৰিচালনাত কৃষ্ণ,— কৃষ্ণ-বিনে এই বিষয়ে যজ্ঞকৰ্ত্তা ধৰ্ম্মাত্মা যুধিষ্ঠিৰে এচিপো আগ নাবাঢ়ে। গতিকে, এই যাত্ৰাত শ্ৰীকৃষ্ণদেৱৰ ইন্দ্ৰপ্ৰস্থৰপৰা এবাৰ নোৱাৰাত পৰিল। অগত্যা, তেওঁৰ সুযোগ্য বীৰপুত্ৰ প্ৰদ্যুম্ন কোঁৱৰক লগত দি, শঙ্কৰ সদৃশ অগ্ৰজ বলৰামৰ হাতত দ্বাৰকা ৰক্ষণাবেক্ষণৰ ভাৰ গতাই দি ৰাজসূয়-যজ্ঞ সম্পাদন হৈ নোযোৱালৈকে শ্ৰীকৃষ্ণই ইন্দ্ৰপ্ৰস্থত প্ৰবাস খাটিব লগীয়া হল। অদ্বিতীয় ৰাজনৈতিজ্ঞ আদৰ্শ পুৰুষ শ্ৰীকৃষ্ণ-দেৱৰ মহাস্থিতিত নিশঙ্কচিতীয়া হৈ ধৰ্ম্মৰাজ যুধিষ্ঠিৰে ৰাজসূয়-মহাযজ্ঞৰ মহানুষ্ঠান উপলক্ষীয় মহা আয়োজন মহা সমাৰোহেৰে ক্ৰমাৎ আগবঢ়াবলৈ ধৰিলে।

শ্ৰীকৃষ্ণদেৱৰ সু-পৰামৰ্শ অনুসৰি, বিশ্বকৰ্ম্মা যেন বাটৈ শিল্পী ময়মণ্ডিত[১] অদ্বিতীয় আৰু অতি বিচক্ষণীয়া যুধিষ্ঠিৰ ৰজাৰ বৰচ'ৰাতে ৰাজসূয় মহাযজ্ঞ পাতিবলৈ স্থিৰ কৰা হয়। সেই অৰ্থে, সেই অতুলনীয় ৰজাৰ বৰচ'ৰাৰ চৌপাশে আৰু তাৰ টোলৰ আশে-পাশে অলেখ বিতোপনীয়া ৰজা-বাহৰ নিৰ্ম্মাণ কৰোৱা হয়। সেই বাহৰবোৰৰ প্ৰতিটোই একোজন ৰজা সসৈন্যে আৰু সপাৰিষদে বাস কৰিবৰ উপযোগী; আৰু আশে-পাশে সজোৱা বাহৰবোৰৰ একো-একোটা ঘৰোৱাহীকৈ একো-একোঘৰ গণ্য-মান্য অৱস্থাপন্ন আলহীৰ বাসোপযোগী। ৰাজসূয়-মহাযজ্ঞৰ বেদীৰ অৰ্থে নিৰূপিত থান আৰু সেই ৰাজসভা-গৃহৰ সৌন্দৰ্য্য স্বৰূপতে বৰ্ণনাতীত। তাৰোপৰি, আগন্তুক মহাযজ্ঞ উপলক্ষে সেই অদ্বিতীয় নৱ-বিশ্বকৰ্ম্মা ময়দানৱ শিল্পীৰ হতুৱাই তাৰ যুগুত সংস্কাৰ সাধন কৰাই সেই ৰাজসভাগৃহ আগতকৈও চমৎকাৰ কৰি তোলা হয়। সেই চমৎকাৰ যজ্ঞ-বেদীৰ চৌপাশে মিত্ৰ আৰু কৰতলীয়া ৰজা-ৰাজন্যবৰ্গৰ প্ৰেৰিত বিবিধ বহুমূলীয়া বিচক্ষণীয়া মণি-ৰত্ন, আহিলা-পাতি আদিৰে সৈতে চমৎকাৰকৈ সজাই তোলাত, সি বাস্তৱতে চকুত চমকু

(১) খাণ্ডৱপ্ৰস্থৰ ময়দানৱ নামে বিশ্বকৰ্ম্মাসদৃশ বিচক্ষণীয়া' বাটৈ খনিকৰৰ দ্বাৰাই মণ্ডিত যুধিষ্ঠিৰৰ সভাগৃহ বা বৰচ'ৰাৰ বিষয়ে ইতিপূৰ্ব্বতে বহুল বৰ্ণনা দিয়া হৈছে।

লগোৱা এটা আচৰিত সভা-মন্দিৰ হৈ উঠিল। তাৰপাচত, সেই বিস্ময়জনক প্ৰকাণ্ড যজ্ঞ-মন্দিৰৰ কেইওকাষে ৰাজগুৰু ধৌম্য মুনিৰ দিহা অনুসৰি যথা যথা ঠাইত লাগতিয়াল বিবিধ উপকৰণাদি যুগুত কৰা আৰু নিয়াৰিকৈ থাপন কৰা হৈ উঠাত, যজ্ঞাৰম্ভণৰ আচল ক্ষণ উপস্থিত হলহি। তাৰ পাচত, শাস্ত্ৰজ্ঞ সুপণ্ডিত মণ্ডলীৰ মঙ্গলাচৰণৰ অনুবৰ্ত্তী হৈ শুভলগ্নত ৰাজগুৰু ধৌম্য মুনিয়ে ধৰ্ম্মৰাজ যুধিষ্ঠিৰক ৰাজসূয়-যজ্ঞত যথাবিধি দীক্ষিত কৰিলে।[১] তাৰ পাচত, নানা দেশ-দেশান্তৰৰপৰা অহা সহস্ৰ সহস্ৰ ব্ৰাহ্মণ আৰু নিমন্ত্ৰিত ৰজা-মহাৰজা সকলোটি আহি সমবেত হলেই পূজা আৰম্ভ কৰিবলৈ সম্ভৱ হোৱা হল।

ইতিমধ্যত, শ্ৰীকৃষ্ণদেৱৰ সঙ্কেত অনুসৰি, চতুৰ্থ পাণ্ডৱ নকুলক হস্তিনাপুৰলৈ পঠিয়াই সসৈন্যে আৰু সপাৰিষদে কুৰু-ৰাজপৰিয়ালক আগবঢ়াই অনোৱা হয়। নকুল গৈ হস্তিনাপুৰী প্ৰৱেশ কৰা মাত্ৰে বৃদ্ধাৰাণী গান্ধাৰী প্ৰমুখ্যে পুৰনাৰীবৰ্গ ৰাজসূয়-যজ্ঞত যোগ দিবলৈ উলাহিত হৈ ওলাল। পুৰুষৰ ভিতৰত বৃদ্ধৰজা ধৃতৰাষ্ট্ৰ, পিতামহ, ভীষ্মদেৱ, অস্ত্ৰগুৰু দ্ৰোণাচাৰ্য্য, কৃপাচাৰ্য্য, বিদুৰ, অশ্বত্থমা, বাহ্লীক, সঞ্জয়, ভূৰিশ্ৰবা, সোমদত্ত, কৰ্ণ, জয়দ্ৰথ, দুৰ্য্যোধন, প্ৰমুখ্যে ধৃতৰাষ্ট্ৰ ৰজাৰ পুত্ৰগণ আৰু হস্তিনাপুৰৰ গণ্য-মান্য ৰজা, পাত্ৰ-মন্ত্ৰী, সেনাপতি, ৰাজকোঁৱৰসকল যথাসময়ত ইন্দ্ৰপ্ৰস্থ ৰাজপুৰীত উপস্থিত হলহি। তাৰ পাচত, নিমন্ত্ৰিত ৰজা মহাৰজাসকলৰ আগমন একে সময়তে অলপ অগা-পিচাকৈ হবলৈ ধৰিলে। লগে লগে ভাৰতৰ চতুৰ্দ্দিশৰপৰা ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ নিৰ্ব্বিশেষে জন-স্ৰোত ইন্দ্ৰপ্ৰস্থ অভিমুখে একেৰাহে ববলৈ ধৰিলে। যজ্ঞাৰম্ভণৰ এপক্ষৰ আগতে আহি নগৰৰ চাৰি-সিংহদুৱাৰ-মুখত বিবিধ দেশ-প্ৰাদেশিক লোকেৰে লোকাৰণ্য হৈ পৰিল। আৰু, নিৰ্দ্ধাৰিত নিৰ্ঘণ্ট অনুসৰি, আগেয়ে আহি পোৱাসকলক আগধৰি, তাৰ পৰবৰ্ত্তীসকলক সেই অনুক্ৰমে পাচে-পাচে আগবঢ়াই নি কনিষ্ঠ পাণ্ডৱ-সহদেৱে মহাৰাজ যুধিষ্ঠিৰৰ ওচৰত ভেঁটাবলৈ ধৰিলে। দিনে হেজাৰ-বিজাৰ জন ৰাজ-ৰাজকোঁৱৰক ভেঁটোৱা হয়, তথাপি চাৰি-দুৱাৰত জনতাৰ ভিৰ নাভাগে! এযোৱাৰ ঠাই আন চাৰি-যোৱাই ততালিকে পূৰায়হি। অপাৰ জনতাৰ যে পাৰ পাবলৈ নাযেই, ৰজা-ৰাজোৱাৰো শত সহস্ৰজন সসৈন্যে আহি খপীয়া পৰি ৰৈছেহি! মাথোন, সুদূৰদৰ্শী, সু-চিন্তক, সামাজিক আৰু ৰাজনৈতিক সুপণ্ডিত ভগবান বাসুদেৱৰ বুদ্ধি-কৌশল অনুসৰি, পাণ্ডৱৰ আত্মীয়-কুটুম্ব আৰু ভিতৰুৱা মেলৰ বন্ধু-বান্ধৱাদিক আগধৰি ভিতৰ কৰি লোৱা হয়। তথাপি, যদুবীৰসকলৰে সৈতে বাসুদেৱৰ পিতৃ স্বয়ং বসুদেৱ, ৰাজসূয়-যজ্ঞৰ আচল গৰাকী মহাৰাজ যুধিষ্ঠিৰৰ শহুৰেক দ্ৰুপদ ৰজা, বীৰপুত্ৰ ঘটোৎকচে সৈতে ভীমভাৰ্য্যা হিড়িম্বা কুঁৱৰী[২], শ্ৰীকৃষ্ণৰ শহুৰেক কামৰূপৰ কুণ্ডিল ৰাজ্যৰ অধীশ্বৰ ভীষ্মক ৰজা এই সকল, অহাত অলপ পলম হোৱা হেতুকে, দুই-তিনদিনকৈ দুৱাৰত খপীয়া পৰিবহি লগীয়া হৈছিল।

এইখিনিতে হিড়িম্বাৰ প্ৰৱেশ প্ৰসঙ্গত দু-আষাৰমান কব লগীয়া হৈছে। ভীম-ভাৰ্য্যা হিড়িম্বাই অন্তঃপুৰলৈ প্ৰৱেশ কৰিয়েই শাহুৰেক কুন্তীদেৱীক সেৱা-সৎকাৰ কৰি তেওঁৰ আশীৰ্ব্বাদ গ্ৰহণ কৰেগৈ, তাৰ পাচত, আন আন পুৰনাৰী আৰু ৰাজকুমাৰীসকলক অভিবাদন আৰু সম্ভাষণ জনাই উঠি, পঞ্চ-পাণ্ডৱৰ প্ৰিয়ভাৰ্য্যা আৰু ইন্দ্ৰপ্ৰস্থৰ পটেশ্বৰী দ্ৰৌপদীৰে সৈতে সমানে শাৰীপূৰাই আসন গ্ৰহণ কৰেগৈ। হিড়িম্বাই সকলোকে সাদৰসম্ভাষণ জনালে, কিন্তু দ্ৰৌপদীক একেবাৰে কথাকে নুসুধিলে। সেইকথাত ৰুষ্টা হৈ দ্ৰৌপদীয়ে বিবিধ কৰ্কথনাৰে সৈতে হিড়িম্বাক তাৰপৰা উঠি যাবলৈ আদেশ দিয়ে, কিয়নো তেওঁৰ নিচিনা

(১) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায় ৩৩ আধ্যা।

(২) পৌৰাণিক হিড়িম্বপুৰ বা আধুনিক ডিমাপুৰ। পুৰণি কামৰূপৰ অন্তৰ্গত এই হিড়িম্বপুৰৰ ৰাজকুমাৰী হিড়িম্বা দ্বিতীয় পাণ্ডৱ ভীমসেনৰে সৈতে গান্ধৰ্ব্ব প্ৰথাৰে বিবাহিতা। সেই উদ্বাহৰ ফলত মহাবীৰ ঘটোৎকচৰ উদ্ভৱ। এই আখ্যান মহাভাৰতত বহলাই বৰ্ণোৱা হৈছে।

খোটলা-তিৰোতা পাণ্ডৱ-পটেশ্বৰীৰ শাৰীত আসন পোৱাৰ যোগ্যা নহয়। বিশেষতঃ, তেওঁ ভ্ৰাতৃবৈৰী ভীমসেনক স্বামী ভজাৰ বাবে, তেওঁৰ ভাৰ্য্যা হোৱাটো অবৈধ। ইত্যাদি বিস্তৰ কৰ্কৰ্থনা শুনি শুনি বীৰকন্যা, বীৰজায়া, বীৰজননী হিড়িম্বা কুঁৱৰী ছায়ে-ঢকা জ্বলন্ত অঙ্গঠাৰ দৰে ভমক্ কৰে জ্বলি উঠিল! দ্ৰৌপদীক হিড়িম্বাৰ আঁচলত ধৰি সোমোৱা চাপনী তিৰোতাৰ তুল্যাকৈ হেয়জ্ঞান কৰি তেওঁহে দ্ৰৌপদীক তেওঁৰ শাৰীৰপৰা পিচুৱাই আসন লবলৈ আদেশ দিলে, কিয়নো দ্ৰৌপদীয়ে ভীমক স্বামী ভজাৰ বহুপূৰ্ব্বতে হিড়িম্বাই সেই বীৰবাহু দ্বিতীয় পাণ্ডৱক স্বামী-বৰণ কৰিছিল যে তাৰ জ্বলন্ত-জীৱন্ত চিন্ পিতৃপ্ৰতিম বীৰ-পুত্ৰ ঘটোৎকচ তৰাৰ মাজত জোন জিলিকাদি জিলিকিব লাগিছে। তাৰোপৰি, দ্ৰৌপদীয়ে পিতৃবৈৰী অৰ্জ্জুনক স্বামীবৰণ কৰা বাবে, তেওঁৰ বিবাহ অবৈধ, কিয়নো, পাঞ্চাল ৰাজ দ্ৰুপদক পাৰ্থবীৰে সদলে বন্দী কৰি বান্ধি অনা কথা জগতবিদিত। ইত্যাদি বিস্তৰ তৰ্কযুদ্ধৰ পাচত, হিড়িম্বা আৰু দ্ৰৌপদী দুয়ো মুখামুখি এৰি শেহত চুলিয়া-চুলিলৈ উদ্যত হয়। এনেতে, আচম্বিতে কোনোবা ফালৰ পৰা সেই সমস্যাৰ মাজত সাম্যমূৰ্ত্তি শ্ৰীকৃষ্ণদেৱ আহি উপস্থিত। শ্ৰীকৃষ্ণৰ সঙ্কেত অনুসৰি ততালিকে কুন্তীদেৱীয়ে আহি দুই সতিনী বোৱাৰীয়েকক দুফালে থৈ মাজতে থিয় দিলেহি, হিড়িম্বা-দ্ৰৌপদী দুয়ো দুফালে লাজত জুঁয় পৰি নিজ নিজ আসনৰপৰা আপোনা-আপুনি সৰি সৰি পৰিল! ইতিছেগতে মিচিকিয়া হাঁহি এটি মাৰি বাসুদেৱ তাৰপৰা ততালিকে আকৌ আঁতৰ হল।

বহুদূৰণি ৰাজ্যৰপৰা আহূত মহাপৰাক্ৰমী ৰজাসকলেও ৰাজপুৰীলৈ প্ৰৱেশ কৰিব নোৱাৰি ভালেমান দিনকৈ দুৱাৰত থপীয়া পৰি ৰব লগীয়া হোৱাত, বাহিৰত অশান্তিৰ গঞ্জনা উঠিবলৈ ধৰিলে। তাৰ সম্ভেদ্ পাই যজ্ঞৰক্ষক সাৰঙ্গধাৰী শ্ৰীকৃষ্ণদেৱে ততালিকে পুৰীৰ বাহিৰ হৈ সেই বিষয়ক জঞ্জাল ভঞ্জনৰ অৰ্থে দুৱাৰে দুৱাৰে স্বয়ং তত্ত্বাৱধান লবলৈ ধৰিলে; সেই ছেগতে লঙ্কেশ্বৰ বিভীষণে শ্ৰীকৃষ্ণৰ সাক্ষাৎ লাভ কৰে। ৰামভক্ত বিভীষণে[১] তেওঁৰ ইষ্টদেৱ শ্ৰীৰাম অনুৰূপী শ্ৰীকৃষ্ণক সভক্তি প্ৰণিপাত কৰি, আত্ম-পৰিচয় জ্ঞাপন কৰিলে। তাৰ পাচত, তেওঁক সৰহপৰলৈ থপীয়া নেপেলাই ধৰ্মৰাজ যুধিষ্ঠিৰৰ ওচৰত সোনকালে ভেঁটোৱাৰ দিহাকৰণৰ আশাৰে বিভীষণে বাসুদেৱক বিনীতভাৱে অনুৰোধ জনালে। সেই উদ্দেশে লঙ্কেশ্বৰক লগত লৈ, দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণ সাত্যকিৰক্ষিত দক্ষিণ-দুৱাৰত উপস্থিত হলগৈ। কিন্তু, দ্বাৰকাৰ খাই সেনাপতি সাত্যকিয়ে প্ৰভু দ্বাৰকেশ্বৰৰ অনুজ্ঞাসূচক অনুৰোধ অগত্যা অৱহেলি অনিয়মকৈ লঙ্কেশ্বৰক দুৱাৰ এৰি দিবলৈ অস্বীকাৰ কৰিলে। সেই ব্যৱহাৰত হৰষিত হৈ, শ্ৰীকৃষ্ণদেৱে বিভীষণক তাৰপৰা নি পছিম-দুৱাৰত ভেঁটালেগৈ। সেই দুৱাৰৰ গৰাকী আছিল ভীমসুত হিড়িম্বানন্দন বীৰবাহু ঘটোৎকচ। পিতৃব্যপ্ৰতিম শ্ৰীকৃষ্ণৰ সেই অনুৰোধ ৰক্ষা কৰিবলৈ অসমৰ্থ হৈ, হিড়িম্বানন্দন ঘটোৎকচে ঘোৰ আক্ষেপ প্ৰকাশি দৈৱকীনন্দন পাণ্ডৱ-বান্ধৱ দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণক মিনতি কৰি জনালে যে, ৰাজকীয় নিয়ম-নিৰ্ব্বন্ধ অনুসৰি মাদ্ৰীনন্দন এজনৰপৰা অনুমতি নোপোৱাকৈ তেওঁ কাকো দুৱাৰ এৰি দিব নোৱাৰে। ইয়াত বিফল হৈ কৰ্ত্তব্যপৰায়ণ ভীম-নন্দনক ধন্যবাদ দি, লঙ্কেশ্বৰে সৈতে দ্বাৰকেশ্বৰ উত্তৰ-দুৱাৰত উপস্থিত হলগৈ। এই দুৱাৰৰ কৰ্ত্তা আছিল শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ কোঁৱৰ। পিতামহৰ জৰিয়তে বিভীষণৰ প্ৰৱেশ প্ৰাৰ্থনা শুনি দুৱৰী-বিষয়া কোঁৱৰে ভক্তি-ভাৱে এই সমিচাৰ দিলে যে, সিবিলাকে ক্ষন্তেক অপেক্ষা কৰক; মাদ্ৰীনন্দন নকুল বা সহদেৱৰ বিনা-অনুমতিৰে তেওঁ দুৱাৰ এৰি দিবলৈ অপাৰগ! নিজৰ নাতিৰ ওচৰতো অনুৰোধ ৰক্ষা নপৰাত হতাশ হৈ হৰ্ষচিত্তেৰে আঁতৰি গৈ দ্বাৰকেশ্বৰ বাসুদেৱ পূব-দুৱাৰেদি লঙ্কেশ্বৰৰ প্ৰৱেশৰ অৰ্থে

---

(১) ৰামায়ণৰ মতে, শ্ৰীৰামচন্দ্ৰৰ বৰত ৰাৱণ ৰজাৰ অনুজ বিভীষণে অমৰত্ব লাভ কৰে; সেই আপাহতে পুৰাণকাৰসকলে সেই ত্ৰেতাৰ বিভীষণক আনি দ্বাপৰত অৱতাৰণা কৰিছে। সি যি হওক, যুধিষ্ঠিৰৰ ৰাজসূয়যজ্ঞৰ সময়ত লঙ্কাত বিভীষণ নামে এজন ৰজা আছিল;—হব পাৰে তেওঁ ২য়, কি ৩য়, কি ৪ৰ্থ, বিভীষণ। কিয়নো, ধৰ্মাত্মা প্ৰজাৰঞ্জক বিভীষণ ৰজাৰ নামে একাধিক জন ৰজা হোৱাটো অসম্ভৱ নহয়।

প্ৰাৰ্থী হলগৈ। সেই দুৱাৰ ৰৈছিল দুৰ্য্যোধনৰ[১] তত্ত্বাৱধানত। দুৱৰী-বিষয়া ইন্দ্ৰসেনে দুৱাৰ এৰি নিদিয়াত দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণই দুৰ্য্যোধনত গোচৰ দিলেগৈ। দুৰ্য্যোধনে দুৱৰী-বিষয়া সকলোৰে ওপৰ-বিষয়া ভীমসেনলৈ আঙুলিয়াই অতি বিনীতভাবে জনালে যে, সেই গোচৰ সুধিবৰ আচল গৰাকী ভীমসেন হে। সেই অনুসৰি, বাসুদেৱে সেই বিষয়ে ভীমসেনৰ ওচৰত গোচৰ দিয়েগৈ। সন্নিধানত ভীমসেনে আক্ষেপসূচক ভাব-ভঙ্গীৰে সৈতে ভাঙ্গি কলে যে, যাৰ আদেশ-উপদেশ অনুসৰি দুৱাৰ ৰক্ষণৰ নিয়ম-নিৰ্ব্বন্ধ হৈছে, সেই যজ্ঞৰক্ষক সাৰঙ্গধাৰীৰ মুখে স্বেই অযথা প্ৰৱেশ-প্ৰাৰ্থনা শুনি তেওঁ বাস্তৱতে আচৰিত হৈছে। টানমুখীয়া ভীমৰ কথাত অপ্ৰস্তুত হৈ, এটি লাজকুৰীয়া হাঁহি মাৰি হৰ্ষোৎফুল্ল হৈ, শ্ৰীকৃষ্ণদেৱ তাৰপৰা এফলীয়া হল। লঙ্কেশ্বৰে পাণ্ডৱ-ৰাজৰ সুশৃঙ্খলিত সুদৃঢ় নিয়ম-নিৰ্ব্বন্ধাদি মনে মনে নথৈ নথৈ শলাগি আকৌ আগৰ ঠাইত থপীয়া পৰিলগৈ।

লঙ্কেশ্বৰক নিমিত্তকাৰণ মাথোন লৈ শ্ৰীকৃষ্ণদেৱে সেই ছেগতে প্ৰমাণ বুজি চালে যে, তেওঁৰ ভিতৰুৱা পৰামৰ্শ ই বাহিৰত কেনেকুৱা গুণ দিছিল। বিশেষ বিবেচনাৰ ওপৰত বিভীষণক পুৰীপ্ৰৱেশলৈ আগবাঢনি দিওৱাৰ যত্নত বিফল-মনোৰথ হোৱা বাবে শ্ৰীকৃষ্ণদেৱ অলপো ব্যথিত নোহোৱাৰ আচল কাৰণ সেয়েই। বাসুদেৱে আন্তৰিক সেই বাবে পৰম প্ৰীতিহে লাভ কৰিছিল; কিয়নো, তাৰ দ্বাৰাই এই ধাৰণা ভাৰতৰ সমবেত ৰাজন্যবৰ্গৰ মনত থিতাপিত কৰোৱা হল যে, এজন ৰাজচক্ৰবৰ্ত্তী ৰাজাধিৰাজৰ নিয়ম-নিৰ্ব্বন্ধাদি কিমান সুদৃঢ়, আৰু ধৰ্ম্মৰাজ যুধিষ্ঠিৰ সেই অত্যুচ্চ সন্মানৰ নিমিত্তে কিমান যোগ্যবান। অসাধাৰণ ৰাজনৈতিক আদৰ্শ পুৰুষ শ্ৰীকৃষ্ণদেৱৰ পৰামৰ্শ মতে দুৱাৰত থপীয়া পৰি থকা ৰজাসকলক তাৰপৰা সোনকালে পুৰস্থ কৰাৰ দিহাকৰণ কৰা হয়। দুই-চাৰি দিনৰ ভিতৰতে সকলোটি ৰজা, মহাৰজা, আচাৰ্য্য পুৰোহিত, ঋষি, মুনি আৰু অন্যান্য আলহীবৰ্গক ৰজা-বাহৰৰ ভিতৰ কৰি যথাযোগ্যৰূপে থিতাপিত কৰোৱা হল।[১]

অভ্যৰ্থনাৰ সমাপ্তিত নিৰূপিত দিনা যথাসময়ত যথা-থানত যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞ মহোৎসৱৰ কাৰ্য্য আৰম্ভ কৰা হয়। সমবেত ৰজা-মহাৰজা, ঋষি-মুনি, আচাৰ্য্য-পুৰোহিত, আৰু অন্যান্য সভাসদসকল যথাযোগ্য আসনত উপবিষ্ট হোৱাৰ পাচত, ৰাজসূয়-যজ্ঞৰ অধিবাস-পূজাভাগ কুল-পুৰোহিত ধৌম্য ঋষিৰ দ্বাৰাই নিয়াৰিকৈ সমাপন কৰোৱা হৈ গল। সেই সমাপ্তিৰ অনুবৰ্ত্তী কৰ্ত্তব্য আচৰণৰ সময় পৰিলহি। ক্ষন্তেকৰ নিমিত্তে বিৰাট যজ্ঞসভা নিজম পৰিল। এনে ছেগতে, ভাৰতৰ সেই অপূৰ্ব্ব মহাসভাত অতি বৃদ্ধতকৈও বৃদ্ধ, বিজ্ঞতকৈও বিজ্ঞ, জ্ঞানীতকৈও জ্ঞানী, মানীতকৈও মানী, মহামতি পিতামহ ভীষ্মদেৱে আসন এৰি থিয় দি অতি স্থিৰ-গম্ভীৰ স্বৰে যজ্ঞকৰ্ত্তা যুধিষ্ঠিৰৰ প্ৰতি এই বুলি আদেশসূচক উপদেশ বাণী ঘোষণা কৰিলে, "হে যুধিষ্ঠিৰ! এতিয়া অৰ্ঘ্য-প্ৰদানৰ সময় চাপিছেহি; সৰ্ব্বপ্ৰথমে সমবেত জনমণ্ডলীৰ মাজত সৰ্ব্ব-শ্ৰেষ্ঠজনক অৰ্ঘ্য অৰ্চ্চনা কৰি লৈ, এই সভাস্থ সন্মানী সভামণ্ডলীৰ যোগ্যপাত্ৰক নিজ নিজ যোগ্যতা অনুক্ৰমে অৰ্ঘ্য প্ৰদান[২] কৰা। আচাৰ্য্য, ঋত্বিক, কুটুম্ব, স্নাতক, বান্ধৱ আৰু ৰজা এই ছয় শ্ৰেণীৰ লোকেই অৰ্ঘ্য পোৱাৰ যোগ্য[৩]। এতেকে, পোন-প্ৰথমে তুমি বাছি লোৱা, এই অপূৰ্ব্ব বিৰাট যজ্ঞ-সভাত উপস্থিত ভাৰত-ৰত্নমণ্ডলীৰ মাজত সৰ্ব্বশ্ৰেষ্ঠ ৰত্ন কোন্?—শিক্ষা, জ্ঞান, বুদ্ধি, তেজ, বল, পৰাক্ৰম এই কেইটা গুণগৰিমাৰ দ্বাৰাই পৃথিবীত

---

(১) যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞলৈ আহূত ৰজাগণৰ আগমনৰ আৰম্ভণৰপৰা বিদায় দিনলৈকে এবছৰ কাল পাৰ হৈছিল। ইয়াৰপৰাই ভালকৈ অনুমান কৰিব পাৰি, সেই অপূৰ্ব্ব মহাযজ্ঞৰ বিৰাট আয়োজনৰ পৰিসীমা কিমান বহুল হৈছিল।—মহাভাৰত, সভাপৰ্ব্ব, ৩৫—৪৫ আধ্যা।

(২) পৌৰাণিক ৰীতি-নীতি অনুসৰি, সামাজিক সভা-উৎসৱাদিত সমবেত সমজুৱাৰ ভিতৰত যোগ্যতানু-সাৰে অগা-পিচাকৈ ওলগ লোৱাকে অৰ্ঘ্যপ্ৰদান বোলা হৈছিল। আজিকালি সেই অৰ্ঘ্য ৰীতি-নীতি গায়ন-বায়নৰ ঘেটাত হে ৰৈছেগৈ।

(৩) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৩৬ আধ্যা।

মানৱে শ্ৰেষ্ঠতা লাভ কৰে; তাৰ গুৰুত্ব অনুসৰি সৰ্ব্বশ্ৰেষ্ঠত্ব উপলব্ধি কৰি লবা।"

পিতামহ ভীষ্মদেৱৰ আহ্বানত সন্তুষ্ট হৈ উঠি যজ্ঞকৰ্ত্তা যুধিষ্ঠিৰে বিনীতভাৱে এই বুলি সমিচাৰ দিলে, "হে পিতামহ! বিজ্ঞ আৰু অভিজ্ঞ জনৰ লেখত আমি আপোনাৰ সমকক্ষ দ্বিতীয় জন দেখা নাই। অভিভাৱক হিচাপেও আপুনি শীৰ্ষস্থান অধিকাৰ কৰিছে। এতেকে, এই সভাস্থ নব-ৰত্নৰ মাজত সৰ্ব্বশ্ৰেষ্ঠৰত্ন বাছনিৰ ভাৰ আপোনাতে অৰ্পণ কৰিছোঁ; আপুনি যি জনকে সৰ্ব্বশ্ৰেষ্ঠ বুলি মনোনীত কৰিব, সেই জনকে পোন্-প্ৰথমে অৰ্ঘ্য-প্ৰদান কৰিবলৈ আমি সাজু আছোঁ।"

ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ শিষ্টতাত তুষ্ট হৈ তেওঁৰ সমিচাৰৰ সমিধান দিয়াৰ উদ্দেশে মহামতি ভীষ্মদেৱে সভাত পুনৰপি থিয় দিলে। ইফালে উপবিষ্ট সমজুৱাৰ মাজত হৃৎপিণ্ড কঁপোৱা উৎকণ্ঠিত ভাৱৰ গুৰ্-গুৰণিৰ ক্ষীণস্বৰ সভাত বিয়পি পৰিল। ভীষ্মদেৱে কি কয়, কাৰ নাম লয় শুনি-বলৈ পৰস্পৰে চকু-চোৰাচুইকৈ উগুল-থুগুল ভাবত বিৰাট সভা আকৌ ক্ষন্তেক নিজম পৰিল। সকলোৱেই তৰ্ধ লাগি চকু নপচৰোৱাকৈ ঐক্যদৃষ্টিৰে সৈতে ভীষ্মদেৱলৈ চাবলৈ ধৰিলে। সেই বিৰাট সভাৰ কেন্দ্ৰদৃষ্টি সেই ক্ষণত সেই এজনাৰ ওপৰত একাগ্ৰ হৈ পৰিল। সেই তীক্ষ্ণ দৃষ্টিৰ আগত সাধাৰণ লোকৰ পক্ষে বুকু লৰিবৰ সম্ভাৱনা; আন্তৰিক উদ্বিগ্নতাৰ ফলত বাহ্যিক কঁপনি উঠাৰ কথা। কিন্তু, প্ৰশান্ত সাগৰ যেন ধীৰ, স্থিৰ, গহীন, গম্ভীৰ ভীষ্ম-দেৱক সি অলপো টলাব নোৱাৰিলে। তেওঁ কাৰো প্ৰতি কটাক্ষ নকৰি নিঃশঙ্কচিত্তেৰে আৰু মুকলি প্ৰাণেৰে সৰ্ব্বসমক্ষত এই বুলি তেওঁৰ সিদ্ধান্ত ব্যক্ত কৰিলে, "যদুকুল-তিলক বৃষ্ণিবংশবতংস যি নৰ-ৰত্নৰ অঙ্গত গঁঢ়িলা লৈ স্বয়ং বিষ্ণুৱেহে যেন এই পৃথিবীত তেওঁৰ অসীম মহিমাৰ জ্যোতি প্ৰকাশ কৰিছে,[১] যি নৰশ্ৰেষ্ঠই আজি পৃথিবীত এই অতুলনীয় ৰাজসূয়-মহাযজ্ঞ উপলক্ষীয় মহাসভাত অদ্বিতীয় উজ্জ্বল ৰত্নস্বৰূপে জিলিকিছে, অসংখ্য দীপ্তিমান নক্ষত্ৰ-মণ্ডলীৰ মাজত পূৰ্ণিমাৰ জোন জিলিকাৰ দৰে যি ৰমণীয় বিৰাটপুৰুষ আজি এই সৰ্ব্বজানিক জনমণ্ডলীৰ মাজত জিলিকিব লাগিছে, সেই প্ৰকৃতিপতি ক্ষণজন্মা ক্ষত্ৰিয়কুল-তিলক পৰমপুৰুষ ভগবান[২] শ্ৰীকৃষ্ণদেৱেই মোৰ বিবেচনাৰে আজিৰ এই মহাসভাত সৰ্ব্বশ্ৰেষ্ঠ আদৰ্শ মানৱ। এতেকে, হে যুধিষ্ঠিৰ! সেই পৰমপুৰুষ বাসুদেৱক পোন্-প্ৰথমে অৰ্ঘ্যাৰ্চ্চন' কৰি চৰিতাৰ্থ হোৱাঁ।"

ভীষ্মদেৱে তেওঁৰ এই মহদ্বাণী খোল-মৃদঙ্গ-স্বৰেৰে উঠা-নমাকৈ ঘোষণা কৰি, পুনৰপি আসন গ্ৰহণ কৰা মাত্ৰকে সেই বিৰাট সভামণ্ডপৰ চৌদিশৰপৰা সাগ্ৰহ সমৰ্থন আৰু অনুমোদনসূচক আনন্দধ্বনি জাউৰি-জাউৰিকৈ বহুক্ষণ ব্যাপি প্ৰতিধ্বনিত হবলৈ ধৰিলে। সেই ছেগতে পৰম আনন্দেৰে দৈৱকীৰ অষ্টম গৰ্ভজাত পুত্ৰ যশোদাতনয় নন্দনন্দন পৰমানন্দ নৰশ্ৰেষ্ঠ আদৰ্শপুৰুষবাসুদেৱক ধৰ্ম্ম-যুধিষ্ঠিৰে সৰ্ব্বপ্ৰথমে অৰ্ঘ্য-প্ৰদান কৰি ধৰ্ম্মপৰায়ণ জনমণ্ডলীৰ-পৰা অযাচিতে অশেষ প্ৰশংসা লাভ কৰিলে।

সেই অনুসৰি, শ্ৰীকৃষ্ণদেৱে সৰ্ব্বপ্ৰথম অৰ্ঘ্য গ্ৰহণ কৰাত, সভাস্থ সৰহ ভাগৰ প্ৰাণত অপাৰ আনন্দ মিলিল। কিন্তু, তাৰ লগে লগে তাকৰীয়াকৈ এভাগৰ বিৰক্তিৰ গঞ্জনা উঠি-বলৈকো বাকী নৰল। সেই গঞ্জনাৰ ফলত মহাযজ্ঞ সমাপনত বিষম বিঘ্ন ঘটিবৰো উপক্ৰম হল।[২]

(১) এই প্ৰসঙ্গত শ্ৰীকৃষ্ণৰ বিষ্ণুত্ব বা ঈশ্বৰত্ব পোন্-প্ৰথমে স্বীকৃত হয়।—স্বীকৃত হয় কাৰ দ্বাৰাই?—সেই সাময়িক বয়োজ্ঞানশ্ৰেষ্ঠ সৰ্ব্বপ্ৰধান পুৰুষ ভীষ্মদেৱৰ দ্বাৰাই। ভীষ্মদেৱ শ্ৰীকৃষ্ণৰ সপক্ষ আৰু বিপক্ষ দুয়োদলৰে পিতৃপুৰুষ; কুৰু-পাণ্ডৱৰ জীৱিত পিতামহ। কিন্তু, শ্ৰীকৃষ্ণ কাচিতো এই আখ্যাৰ সমৰ্থক নহয়; বৰঞ্চ তেওঁৰ গুণগ্ৰাহী কোনোবাই তেওঁত ঈশ্বৰত্ব আৰোপ কৰাৰ গম্ পালে তেওঁ মৰ্ম্মান্তিক বেজাৰ হে পাইছিল।

(২) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৩৫ আধ্যা। শিশুপালৰ উত্তেজনাত উত্তেজিত হৈ ভালেমান আহূত ৰজা ৰাজসূয়-যজ্ঞ বিনাশনৰ উদ্দেশে উদ্যত হৈছিল।

ত্ৰয়োবিংশ আধ্যা

কৃষ্ণ-অৰ্ঘ্য-অৰ্চ্চনাত শিশুপালৰ তীব্ৰ প্ৰতিবাদ

শ্ৰীকৃষ্ণদেৱে ৰাজসূয়-যজ্ঞৰ পোন্-প্ৰথম অৰ্ঘ্য গ্ৰহণ কৰা দৃশ্য মহা অভিমানী চেদীৰাজ শিশুপালৰ[১] পক্ষে অতিকৈ অসহনীয় বোধ হল। শিশুপাল ক্ৰোধত অগ্নিৰত জ্বলি উঠিল। তেওঁৰ দুই চকুৰেদি ক্ৰোধৰ ফিৰিঙতি উফৰিবলৈ ধৰিলে; কপালৰ গাঁথি থুপ্ খালে; তেওঁৰ মুখৰ চুলি ডাল-ডালকৈ থিয় হল! তেওঁ নিজ ৰত্নাসনৰপৰা একে-চাবে উঠি গৈ সভাকেন্দ্ৰত থিয় দি, বাঘ-গোজৰণিৰে কুৰু-কুলপতি পিতামহ ভীষ্মদেৱক এইবুলি প্ৰশ্ন কৰিবলৈ ধৰিলে, —"হেৰা ভীষ্ম! ই তোমাৰ কেনে অবিচাৰ? আজি এই বিৰাট ৰাজসভাত অতবিলাক গুণী, মানী, পৰাক্ৰমী ৰজা-মহাৰজা আদিৰ সাক্ষাতত বৃষ্ণি-কুলোদ্ভৱ সামান্য নন্দ ঘোষৰ তোলনীয়া পুত্ৰ গোপালক তুমি কি বুলি পোন্ প্ৰথম অৰ্ঘ্য-অৰ্চ্চনাৰ শ্ৰেষ্ঠতম সম্মান দান কৰালা?"

চেদীৰাজে সেই একে উঠাতে যজ্ঞকৰ্ত্তা যুধিষ্ঠিৰৰ অৰ্ঘ্য-প্ৰদান কাৰ্য্যৰ বিৰুদ্ধে এইদৰে তীব্ৰ প্ৰতিবাদ প্ৰয়োগ কৰিলে, "হেৰা যুধিষ্ঠিৰ! তুমি কোন্ বিধি অনুযায়ী আজি তোমাৰ প্ৰতিষ্ঠিত ৰাজসূয়-যজ্ঞ উপলক্ষীয় অৰ্ঘ্য-প্ৰদান কৰিলা? ৰাজসূয় যজ্ঞত ৰাজ-পূজা সবাতকৈ আগ হোৱাৰ নীতি। পিচে, কোন্ বিধৰ ৰজাৰূপে[২] তুমি কৃষ্ণক সৰ্ব্বপ্ৰথম অৰ্ঘ্য প্ৰদান কৰিলা? স্থবিৰ বুলি যদি অৰ্ঘ্যপূজা আগ কৰিছিলা তেন্তে কৃষ্ণৰ পিতৃ বসুদেৱৰ বৰ্ত্তমান পুত্ৰ বাসুদেৱে অৰ্ঘ্য পায় কিয়? পিতৃক পিচ কৰি পুত্ৰক আগ-সম্মান দিয়াটো কোন্ বিধিৰ বিধান? পূজ্য সুহৃদ্ মিত্ৰৰাজ বুলি যদি প্ৰথম অৰ্ঘ্য প্ৰদান কৰিছিলা, তেন্তে পাঞ্চালৰাজ দ্ৰুপদ, নাইবা কামৰূপৰ বিদৰ্ভৰাজ ভীষ্মক ৰজাই[৩] সেই অৰ্ঘ্য নাপালে কিয়? আচাৰ্য্যৰ গণিতাত যদি সেই অৰ্ঘ্যাৰ্চ্চনা দান কৰা হৈছিল, তেন্তে দ্ৰোণাচাৰ্য্যৰ আগত সেই 'অৰ্চ্চনাৰ সম্মান আন কোনে পাব পাৰে? বেদশাস্ত্ৰজ্ঞ ঋত্বিক জ্ঞানত যদি অৰ্ঘ্য-অৰ্চ্চনাৰ আগ-সম্মান দান কৰা হৈছিল, তেন্তে কৃষ্ণ-দ্বৈপায়ন-বেদব্যাসৰ বিদ্যমানত সেই সম্মান গোপাল-কৃষ্ণই পায় কি যুক্তিৰে? ৰাজকীয় শ্ৰেষ্ঠতাৰ বিবেচনাত যদি সেই ৰাজসম্মান আগবঢ়োৱা হৈছিল, তেনে দুৰ্য্যোধনে সেই সম্মান নাপালে কিয়? যোদ্ধা বুলি যদি সেই মান ধৰিছিলা, তেন্তে ধনুৰ্দ্ধৰ কৰ্ণবীৰৰ সাক্ষাতে সেই মান পাওঁতা আন কোন হব পাৰে? ভুজবল গণিতাত যদি সেই অৰ্ঘ্য প্ৰদান কৰা হৈছিল, তেন্তে অশ্বত্থামা, কৃপসেন আদি বীৰৰ বৰ্ত্তমানে নগণ্য নন্দনন্দনে সেই অৰ্ঘ্য-সম্মান কি বুলি পায়? নিতান্তই যদি প্ৰিয়বন্ধু বুলিহে যশোদাতনয় কৃষ্ণ হেন অপাত্ৰত সেই মহামান অৰ্পণ কৰিবৰ মন আছিল, তেন্তে পৃথিবীৰ মহাতেজী, মহাবলী আৰু মহাপৰাক্ৰমী ৰজা-মহাৰজাসকলক সভাস্থ কৰি এই অপমান দিয়াৰ প্ৰয়োজন আছিল কি? ক্ষত্ৰিয়কুলত এনে অপমান কাচিতো মাৰ্জ্জনীয় নহয়। আমি তোমাৰ বাহুবল বা অৰ্থবললৈ ভয় কৰি তোমাৰ এই যজ্ঞলৈ অহা নাই, তুমি ধৰ্ম্ম-কৰ্ম্মৰ উদ্দেশে এই ৰাজসূয়-যজ্ঞ পাতিছা বুলি ভাবি হে তোমাৰ নিমন্ত্ৰণ গ্ৰহণ কৰিছোঁহি। পিচে, কাবৌ-ভক্তিৰে সৈতে নিমন্ত্ৰণ জনাই নানা দেশ-প্ৰদেশৰপৰা ৰজাসকলক একেঠাই কৰি, তুমি সিবিলাকক অযাচিতে অপমানিত কৰাৰ উপৰি নিজে নিজৰ "ধৰ্ম্ম" নামৰ অপযশ চপাই ললা। এতেকে, তুমি ৰাজসূয়-যজ্ঞৰ উপযুক্ত নৌ হোৱা এথোন। এই যজ্ঞ নিৰ্ব্বিবাদে সম্পাদিত হবলৈ আমি এৰি নিদিওঁ।"[৪]

---

(১) শিশুপাল শ্ৰীকৃষ্ণৰ পেহীয়েক শ্ৰোতশ্ৰৱাৰ পুতেক। শ্ৰোতশ্ৰৱা বসুদেৱৰ তৃতীয়া সহোদৰা ভনীয়েক; বয়সত তেওঁ শ্ৰীকৃষ্ণৰ সমনীয়া। শিশুপালৰ পিতাকৰ নাম দমঘোষ।

(২) শ্ৰীকৃষ্ণ স্বয়ং ৰজা হোৱা নাছিল। তেওঁৰেই দিহা অনুসৰি উগ্ৰসেন হে ৰাজপাটত আছিল। আৰু, ওপৰত যথাস্থানত কৈ অহা হৈছে যে, শাপগ্ৰস্তপ্ৰযুক্ত কৃষ্ণৰ পিতৃপুৰুষ যৈদ ৰাজপাটলাভৰপৰা বঞ্চিত হৈছিল।

(৩) পুৰণি কামৰূপৰ অন্তৰ্গত বিদৰ্ভৰাজ্যৰ কুণ্ডিল চহৰৰ (এতিয়াৰ শদিয়া অঞ্চল) অধিপতি ভীষ্মক ৰজা শ্ৰীকৃষ্ণৰ শহুৰেক। শ্ৰীকৃষ্ণৰ প্ৰথমা ভাৰ্য্যা ৰুক্মিণীদেৱী ভীষ্মক ৰজাৰ একে গৰাকী মাথোন জীয়াৰী।

(৪) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৩৭ আধ্যা।

সদোশেহত, শিশুপালে শ্ৰীকৃষ্ণদেৱক এনাজগৰত এই বুলি ককৰ্থনা কৰিবলৈ ধৰিলে, “হেৰ নিলাজ গোপাল! তোৰ নাকত দেখোঁ লাজৰ লেশমাত্ৰও নাই! তই নন্দঘোষৰ অন্নভোগী হৈ এই মহাসম্মানী ৰজা-মহাৰজা-সকলৰ আগত কোন্‌টো নাকেৰে অৰ্ঘ্য গ্ৰহণ কৰিলি? আনকি তোক অৰ্ঘ্যপ্ৰদান কৰা উৎসৱ নপুংসকৰ বিবেচনাৰ ফল যেন হে লাগিছে। অন্ধক সুধি অন্ধই বাট লোৱাৰ নিচিনাকৈ, মূৰ্খ ভীষ্মক সুধি মহামূৰ্খ যুধিষ্ঠিৰে এই হেন বিৰাট ৰাজসভাৰ মাজত তোক অযথাকৈ অৰ্ঘ্য-অৰ্চনা দান কৰি আমাক অপমান দিলে! যি সভাত এইদৰে সুজন অপমানিত হয়, সেই সভাত জ্ঞানীজনৰ স্থিতি কাচিতো সম্ভৱপৰ নহয়।” এই বুলি তেওঁৰ অনুবৰ্ত্তী ৰাজন্যবৰ্গক লগত লৈ, অভিমানী চেদীৰাজ শিশুপালে সভাক গৰিহণা দি গুচি যাবলৈ আগ বাঢ়িল।[১]

চতুৰ্বিংশ আধ্যা

ৰাজসূয়-যজ্ঞ বিনাশনৰ আশঙ্কা

আগন্তুক অপায় খণ্ডাবৰ অভিপ্ৰায়ে ধৰ্ম্মৰাজ সুধীৰ যুধিষ্ঠিৰে ততালিকে সিংহাসনৰপৰা উঠি গৈ শিশুপালক হাত-ভেটা দি আগচি ধৰি তেওঁৰ চৰিত্ৰসুলভ সাধুৰ মৃদু-মধুৰ বচনেৰে এই বুলি বুজাবলৈ ধৰিলে, “হেৰা চেদীশ্বৰ! তোমাহেন কীৰ্ত্তিমান্ মহাবীৰ আৰু মহাপৰাক্ৰান্ত ৰজাৰ পক্ষে এনেকুৱা অভিমান কাচিতো শোভনীয় নহয়। তুমি তোমাৰ অনুগামী ৰাজন্যবৰ্গৰে সৈতে যজ্ঞস্থল এৰি গলে আমাৰ অপকাৰতকৈ তোমাৰ অপযশ ভালেমান গুণ চৰিব। অপ্ৰিয় হলেও ধৈৰ্য্যতাৰে সৈতে যুক্তি-ধৰ্ম্মক ন্যায়পথ এৰি দিয়াটো তোমাহেন বীৰপুৰুষৰ নিশ্চয় শোভনীয় কাৰ্য্য। এতেকে, মনৰ খং মনতে মাৰ নিয়াই নিজৰ যথাযোগ্য ৰত্নাসন পুনঃ গ্ৰহণ কৰি নিজৰ আৰু অপৰৰ সুমঙ্গল সাধন কৰাঁহি।[২] প্ৰশান্তমূৰ্ত্তি ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ কোমল বাণীয়ে দুৰ্দ্দান্ত শিশুপালক দুগুণে উত্তেজিত হে কৰিলে। এনেতে মহামতি ভীষ্মদেৱে যুধিষ্ঠিৰক প্ৰবোধ দিয়াৰ ছলেৰে পুনৰপি এইবুলি মধ্যস্থৰ বাণী শুনাবলৈ থিয় দিলে, “হেৰা ধৰ্ম্মৰাজ! অভাজনৰ ওচৰত সাধু আচৰণে একো গুণ ধৰাব নোৱাৰে। দমঘোষৰ পুতেক[৩] শান্তিপ্ৰিয় লোক নহয়। যি কৃষ্ণ-পূজা নিন্দা কৰে, তেনেকুৱা আৱৰক বৰাবৰ চেষ্টাই বৃথা। দুৰ্ম্মতি শিশুপালে কৃষ্ণ-মহিমা কি বুজিব! সেই মহিমা বৰ্ণাবলৈ মই নিতান্ত অপাত্ৰ, আৰু অপাৰগ, সেই মহিমা অযাচিতে চৰাচৰত খ্যাত। অগ্ৰপূজ্য কোন্?—বিপ্ৰৰ মাজত সবাতকৈ জ্ঞানীজন অগ্ৰপূজ্য, ক্ষত্ৰিয়ৰ মাজত সবাতকৈ যিজন বলৱন্ত, সেইজনেই অগ্ৰপূজ্য; বৈশ্যৰ মাজত ধনে-ধানে যি সবাতকৈ চহকী, সিয়েই অগ্ৰমান্য; শূদ্ৰৰ মাজত সবাতকৈ বৃদ্ধজনেই অগ্ৰগণ্য। এতিয়া, আজি এই সভাৰ মাজত কোনে স্বীকাৰ নকৰি পাৰে যে, শ্ৰীকৃষ্ণ জ্ঞানীৰ মাজত সবাতকৈ জ্ঞানী[৪], বলীৰ মাজত সবাতকৈ বলী, কুল-মানতো কৃষ্ণতুল্য ৰাজপুৰুষ আছে কোন্? তাৰোপৰি দান, দাক্ষ্য, শ্ৰুতি, শৌৰ্য্য, লজ্জা, কীৰ্ত্তি বুদ্ধি, বিনয়, শ্ৰী, ধৈৰ্য্য আৰু সন্তোষ আদি সকলো গুণাৱলী শ্ৰীকৃষ্ণত পূৰ্ণকলা বৰ্ত্তমান।[৫] মুঠতে, শ্ৰীকৃষ্ণ প্ৰকৃতপক্ষে প্ৰকৃতিৰ অনুকৃতি মাথোন। এতেকে, এনে হেন জ্ঞানী, মানী, বলী, চহকী, কীৰ্ত্তিমান, বুদ্ধিমান, ধৰ্ম্মপ্ৰাণ পুৰুষ-ৰত্নক অগ্ৰঅৰ্ঘ্য দান কৰাত যি হিংসুকৰ নীচ প্ৰকৃতি সাংঘাতিককৈ উজাৰ খাই উঠে, সেই নীচাশয়জন এই ধৰ্ম্ম-যজ্ঞৰপৰা আঁতৰ হোৱা হে বাঞ্ছনীয়।”

---

(১) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক, পৰ্ব্বাধ্যায়, ৩৭ আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৩৮ আধ্যা।

(৩) শিশুপালৰ পিতাকৰ নাম দমঘোষ।

(৪) বেদ-বেদাঙ্গাদি অধ্যায়ত শ্ৰীকৃষ্ণৰ তুল্য পাৰ-দৰ্শিতা ভাৰতত আন কেৱে লাভ কৰা নাই।

(৫) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৩৮ আধ্যা।

ভীষ্মদেৱৰ এই যুক্তিপূৰ্ণ জ্ঞানগৰ্ভ ককৰ্থনাত উত্তেজিত হৈ যজ্ঞবিনাশৰ উদ্দেশে জঁকি উঠা শিশুপাল প্ৰমুখ্যে ৰজাগণৰ অন্তৰত মিট্‌মিট্‌কৈ বিদ্বেষানল জলি উঠিছে, এনেতে কমলীয়া পাণ্ডুৰ সহদেৱে সেই দুৰাচাৰী ৰজাগণৰ আচৰণৰ আভাস সহিব নোৱাৰি এই বুলি বিৰক্তিৰ ভাব প্ৰকাশ কৰিলে, "যি জনে অপ্ৰমেয় পৰাক্ৰমী পৰমপূজ্য আদৰ্শ-পুৰুষ শ্ৰীকৃষ্ণদেৱক অগ্ৰাৰ্ঘ্য দানেৰে দিয়া পূজা নিন্দা কৰে, সেইজনক মূৰত বাওঁভৰি দি মই সোধোঁ, ৰাজচৰ্য্যা আৰু বুদ্ধিবলত শ্ৰীকৃষ্ণৰ তুল্য আছে কোন?" সহদেৱৰ উক্তিযে সেই জলোঁ জলোঁ হোৱা বিদ্বেষানলত যেন ঘিঁউ হে ঢালিলে,—শিশুপাল আৰু তেওঁৰ অনুবৰ্ত্তী যজ্ঞদ্ৰোহী ৰজাদলৰ সেই আন্তৰিক বিদ্বেষানল প্ৰকাশ্যভাৱে জলি উঠিল, সিবিলাকে বৃষ্ণিকোৰৱসকলক আৰু ভীষ্ম-দেৱক ৰণ-বলেৰে আক্ৰমণ আৰু ৰাজসূয়-যজ্ঞ বিনাশ কৰিবলৈ আগ বাঢ়িলে।

প্ৰলয়কালৰ সাগৰ উথলি উঠাৰ দৰে ৰাজন্যবৰ্গক উন্মত্ত হৈ উঠা দেখি যজ্ঞবিনাশনৰ আশঙ্কাত শান্তিপ্ৰিয় ধৰ্ম্মৰাজ যুধিষ্ঠিৰ অস্থিৰ হৈ পৰিল। তেওঁ আতুৰভাৱে ভীষ্মদেৱক যুগুত উপায় উদ্ভাৱন কৰিবলৈ অনুনয় কৰিলে। সুদূৰদৰ্শী মহামতি ভীষ্মদেৱে যুধিষ্ঠিৰক অভয়দান দি আকৌ উঠি এই বুলি বুকু ডাঠি কবলৈ ধৰিলে, "হেৰা যুধিষ্ঠিৰ! এই কেঁউৰাদলৰ বাক্-বিভীষিকাত অস্থিৰ নহবা। সিংহ যেতিয়ালৈকে টোপনিৰ পৰা নুঠে, তেতিয়ালৈকে হে শিয়ালদলৰ তৰ্জ্জন-গৰ্জ্জন, যেতিয়ালৈকে শ্ৰীকৃষ্ণ সিঁহতৰ আস্ফালনলৈ আওকণীয়া হৈ ৰব, তেতিয়ালৈকে হে এই অপদাৰ্থ ৰজাগণে শিশুপালৰ অসাৰ উদ্গানিত গৰ্জ্জি থাকিব; তাৰ পাচত কৃষ্ণ-দৃষ্টিত পৰা মাত্ৰকে অগ্নিত পতঙ্গৰ বিক্ৰম মাৰ যোৱাদি সি আপুনি মাৰ যাব"।[১] ভীষ্মদেৱৰ সাৰুৱা যুক্তি শুনি অস্থিৰ যুধিষ্ঠিৰ অলপ সুস্থিৰ হৈ আকৌ সিংহা-সনত বহিলগৈ; শিশুপাল অপ্ৰস্তুত হৈ তধা লাগিল!

পঞ্চবিংশ আধ্যা

শিশুপালৰ ভীষ্ম-নিন্দা

শিশুপালে এইবাৰ কৃষ্ণ আৰু পাণ্ডৱক এৰি ভীষ্মদেৱক ধৰিলে। অনুবৰ্ত্তী ৰজাগণক নিজৰ মনোমতকৈ ভিৰাই লৈ, তেওঁ ভীষ্মদেৱক আক্ৰমণ কৰিবলৈ উদ্যত হল। সেই আপাহতে শিশুপালে এই বুলি মহামতি ভীষ্মদেৱক অবাচ্য বচনেৰে নিন্দা কৰিবলৈ ধৰিলে, 'বুঢ়া হলে মানুহৰ প্ৰকৃতি লৰে, হিতাহিত জ্ঞানে এৰা দিয়ে। এই বুঢ়া-হাতীৰো সেই দশা মিলিছে। হেৰা ভীষ্ম! অতি বুঢ়া হলে মানুহৰ মতিভ্ৰম হয়, সেই ভ্ৰমপ্ৰমাদ তোমাৰ গাত ফলিয়াইছে। নাইবা, তোমাৰপৰা আজি দুৰ্ভগীয়া কুৰুকুলে ধৰ্ম্মচ্যুত হবলৈ পৰামৰ্শ নাপালেহেঁতেন। অন্ধক অন্ধই বাট দেখুৱাৰ দৰে, তুমি আজি অল্পমতি পাণ্ডৱবৰ্গক অবাটে গতি কৰাইছা। সেই বাবে তুমি মহাপাপৰ পাপী। তোমাৰকৃত পাপৰ বাবে পাণ্ডৱৰ পৰিয়াল অচিৰে ঘোৰ অনুতাপত পৰিব লগীয়া হৈছে। হে ৰজাসকল! এই বৃদ্ধ পাতকীৰ চৰিত্ৰ অলপমান কওঁ, আপোনাসকলে অলপ অৱধান কৰিব। কাশীৰাজৰ অম্বা নামে কন্যাই শাল্ব ৰজাক স্বামী-বৰণ কৰিছিল, কিন্তু এই পাতকীয়ে সেই কন্যাক বলেৰে হৰি আনে গৈ। আচল তথ্য জানিব পাৰি কন্যাক পুনঃ বৰ্জ্জন কৰা হয়, কিন্তু শাল্বৰাজে তেওঁক পৰহৃতা বুলি গ্ৰহণ নকৰিলে। সেই আপাহতে সেই কন্যাই চিতাত উঠি দেহত্যাগ কৰিলে! এই দুৰাশয় ভীষ্ম সেই অৱধি তিৰীবধী মহাপাপী বুলি সৰ্ব্বত্ৰে জনাজাত। এওঁ ব্ৰহ্মচাৰী বুলি জগতক জনায়, কিন্তু পৰ-ভাৰ্য্যাত পুত্ৰ জন্মায়! এনেকুৱা ভণ্ডৰ ব্ৰহ্মচৰ্য্য বহু নপুংসকেও কৰে। বেদপাঠ, ধ্যান, ব্ৰত, যোগ, যাগ, দান এই সবাৰো ওপৰত অপত্য-ধৰ্ম্ম; কিন্তু এই বৃদ্ধ ভণ্ড তপস্বীয়ে অনপত্য ব্ৰতধাৰণ কৰি 'ভীষ্ম-প্ৰতিজ্ঞা' পালন কৰিছে! এওঁ কুৰুকুলৰ কল্যাণাৰ্থে দীৰ্ঘজীৱন ধৰা নাই, কিন্তু তাহানিৰ বুঢ়া হাঁহৰ দৰে

(১) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৪০ আধ্যা।

কণিৰথীয়া হৈ কুৰুবংশ নিৰ্ব্বংশ কৰিবলৈ হে নমৰি-জীয়াই আছে।"[১]

ভীষ্ম-নিন্দা শুনি শুনি মহাবাহু ভীমসেনৰ অসহনি হ'ল। তেওঁৰ সৰ্ব্বাঙ্গ ক্ৰোধানলত জ্বলি উঠিল। তেওঁ দাঁতকৰচনি মাৰি একেচাৰে সিংহাসনৰপৰা নামি আহি যুগান্তৰ যমে সৃষ্টি সংহাৰিবলৈ যোৱাৰ দৰে শিশুপাললৈ চোচা ললে। পিচে, পিতামহ ভীষ্মদেৱে নাতি-কোৱঁৰ ভীমসেনক দুই হাতত ধৰি, ত্ৰিলোচন মহাদেৱে ধনুৰ্দ্ধৰ কাৰ্ত্তিক বীৰক ধৰাৰ দৰে,[২] থমাই ৰাখি চেনেহৰ বচনেৰে বুজাবলৈ ধৰিলে। ভীষ্মদেৱৰ বুজনিত ভীমসেন শান্ত হ'ল। কিন্তু ভীমে পুনঃ আসন লোৱাত, শিশুপাল আকৌ গৰ্জ্জি উঠিল। সেই ছেগতে, অতিবৃদ্ধ বহুতথ্যবিদ্ জ্ঞানী পিতামহ ভীষ্মদেৱে শিশুপালৰ জন্মকাহিনীৰ[৩] সমবেত ৰাইজৰ আগত ব্যাখ্যা কৰিবলৈ ধৰিলে।

ষড়বিংশ আধ্যা

শিশুপালৰ কৃষ্ণ-নিন্দা

ভীষ্মদেৱে শিশুপালৰ জন্মবৃত্তান্ত ব্যাখ্যা কৰোঁতে এই আচল তথ্য উদ্ঘাটিত হ'ল যে, তেওঁৰ মাতৃৰ অনুৰোধ ৰক্ষাৰ্থে মাথোন শ্ৰীকৃষ্ণই তেওঁৰ শতদোষ অসাধাৰণ ধৈৰ্য্যতাৰে সৈতে ক্ষমা কৰি আহিছে, অৰ্থাৎ শিশুপালৰ জন্ম-লক্ষণ পৰীক্ষা আৰু জ্যোতিষগণনাৰ ফল মতে জনা গৈছিল যে, শ্ৰীকৃষ্ণ বা তেওঁৰ সদৃশ্ অদ্ভুত বলশালী লোকৰ হাতত তেওঁৰ মৰণ মিলিব। শিশুপালৰ মাক মহাদেৱী শ্ৰোতস্ৰৱা শ্ৰীকৃষ্ণৰ পেহীয়েক হয়। সেই আপাহতে তেওঁ ভতিজাকক অনুৰোধ কৰে, শিশুপালৰ শতদোষ সহিবলৈ, আৰু সেইমতে বাসুদেৱ প্ৰতিশ্ৰুত হয়, নহলে কেতিয়াবাই শ্ৰীকৃষ্ণৰ হাতত শিশুপালৰ মৰণ মিলিলহেঁতেন। সেই ব্যাখ্যা শুনি মহা অভিমানী শিশুপালে অতিশয় অপমানিত বোধ কৰিলে, আৰু ততালিকে বিস্তৰ অবাচ্য বচনেৰে ভীষ্মক উত্তৰ দিয়াৰ ছলতে, এই বুলি কৃষ্ণ-নিন্দা কৰিবলৈ ধৰিলে[৪], "হেৰ ভীষ্ম! ভুলিঙ্গ পক্ষীৰ চৰিত্ৰৰে সৈতে তোৰ চৰিত্ৰ নিভাঁজকৈ মিলে। পৰক অযথা উপহাস কৰি পেট-প্ৰৱৰ্ত্তোৱা কুৰীতি তোৰ এই বুঢ়াকালত বৰকৈ চৰিছে। কিন্তু, তই মূৰ্খ, তই মুবুজিলি যে, নগণ্য গোৱালৰ ল'ৰা কৃষ্ণক স্তুতি কৰাতকৈ বাহ্লীক ৰজা আৰু কৰ্ণবীৰৰ নিচিনা প্ৰতাপী আৰু পৰাক্ৰমী লোকৰ গুণ গোৱা হলে তোৰ সেই উদ্দেশ্যে সহজে সিদ্ধি হলহেঁতেন। তিৰীবধী, গোবধী, মোমা বধী পাপী গোপালক স্তবন কৰাতকৈ দ্ৰোণ-দ্ৰৌণি পিতা-পুত্ৰক পূজা কৰা হলে তোৰ স্বাৰ্থ অবাধে সিদ্ধি হলহেঁতেন। দুষ্ট, চোৰ, পলৰীয়া, মিছলীয়া, প্ৰৱঞ্চক, কচক্ৰী, টেটোন মাধৱক আৰাধনা কৰাতকৈ মহাবল দুৰ্যোধন, ভগদত্ত, জয়দ্ৰথ, ভীষ্মক, দ্ৰুপদ, ৰুক্মি, দন্তবক্ৰ, মৎস্য, কলিঙ্গ, কামদ, বৃষসেন, বিন্দ, অনুবিন্দ, কৃপাচাৰ্য্য এই সকলক চাতু কৰা হলে তই অধিক উপকৃত হলিহেঁতেন। পুতনাৰ নিচিনা দুৰ্ব্বলা তিৰোতা এজনী বধ কৰোঁতা, কাঠৰ গাড়ী এখন গোৰ মাৰি পেলাওঁতা, ডুভাল পুৰণি পচা গছ উভালোঁতা যশোদাৰ জহৰা ল'ৰা কৃষ্ণ তোৰ মানত মহাজন হব পাৰে, কিন্তু আমাৰ মানত সি নিতান্ত অপদাৰ্থ, শিয়াল-কুকুৰৰ তুল্য। পথাৰত চৰি থকা ষাঁড় এটা, ঘোঁৰা এটা, বিলত পৰি থকা বগ্ এটা বধি বলী নাম লোৱা বনচাৰী অঘৰী নন্দ ঘোষৰ পুতেক কানাই তোৰ মানত এটা বীৰ হব পাৰে, আমাৰ মানত সি এটা নগণ্য নিগনি। ইন্দ্ৰজাল তৰি সাতদিন গোবৰ্দ্ধন পৰ্ব্বত দাঙ্গি ধৰি দেখাওঁতা, পেঁপা-বাঁহী বজাই মুগ্ধ কৰি কালীয প্ৰভৃতি গোটাদিয়েক সৰ্প বশ কৰোঁতা, অগুণকাৰীৰ কুচক্ৰৰ ফেৰত নিৰস্ত্ৰ কংসৰাজক বধোঁতা, দৈৱকীৰ অষ্টম গুপ্তসন্তান কলিয়া কুলি কপটীয়া কৃষ্ণ তোৰ মানত আৰাধ্য দেৱতা হব পাৰে,

(১) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৪১ আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৪২ আধ্যা।

(৩) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৪৩ আধ্যা।

(৪) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৪৪ আধ্যা।

কিন্তু আমাৰ মানত সি অস্পৃশ্য পাপী। মহাবাহু জৰাসন্ধৰ ভয়ত যি পিতৃভূমি এৰি সপৰিয়ালে সবান্ধৱে সবংশে সাগৰৰ মাজত সোমালগৈ, সেই ভয়াতুৰ কৃষ্ণ তোৰ মানত মাথোন সাহসী যোদ্ধা হব পাৰে। অবৈধ স্নাতক ব্ৰাহ্মণৰ ছদ্মবেশ ধৰি গিৰিব্ৰজত প্ৰবেশ কৰি যি ধূৰ্ত্ত প্ৰৱঞ্চকে মহাবাহু জৰাসন্ধক ছলিলেগৈ, সেই কাপুৰুষে তোৰ আগত মাথোন মহাবাহু বোলাব পাৰে। মোক সয়ম্বৰত বৰিবলৈ স্থিৰ হোৱা ৰুক্মিণীক হৰণ কৰি আনি যি নিজৰ ভাৰ্য্যা কৰি লৈছে, সেই পৰস্ত্ৰীহাৰী ব্যভিচাৰী কৃষ্ণ তোৰেই হে আদৰ্শ পুৰুষ হলে হব পাৰে।"[১] এই বুলি উত্তাৰল হৈ খোলা তৰোৱালেৰে শিশুপালে শ্ৰীকৃষ্ণলৈ চোচা ললে; এনেতে আচম্বিতে কৃষ্ণৰ সেনাপতি সাত্যকিয়ে আহি ফেৰ পাতি ধৰিলেহি। সাগৰ যেন গহীন প্ৰকৃতিৰ শ্ৰীকৃষ্ণদেৱে অৱজ্ঞা-সূচক এটি মিচিকিয়া হাঁহি মাৰি সাত্যকিৰ হাতত ধৰি তেওঁক থমাই ৰাখিলে।

শিশুপাল কিন্তু নাথামিল। তেওঁক ধৰি-মেলি পুনঃ আসন গ্ৰহণ কৰোৱা হল হয়, কিন্তু তেওঁৰ মুখ জাপ নগল। তেওঁ আকৌ ভীষ্মদেৱৰ ওপৰত অজস্ৰ গালি বৰষিবলৈ ধৰিলে। নিন্দা-প্ৰসঙ্গত শিশুপালে ভুলিঙ্গ পক্ষীৰ[২] বিজনি দি ভীষ্মদেৱক এই বুলি লাজ দিবলৈ ধৰিলে, "আহাৰান্তত সুপ্তসিংহই হামি মাৰোঁতে কোৱাৰিত লাগি থকা মঙ্গহৰ চেকুৰা চেলেকি চিকুণ হোৱা ভুলিঙ্গ পখীৰ দৰে, হেৰ ভীষ্ম, তই এই সমবেত ৰাজমণ্ডলীৰপৰা অনুগ্ৰহ উপভোগ কৰি মাথোন মহাবীৰ বোলাই তিষ্ঠি আছ; নাইবা সিবিলাক ৰুষ্ট হলে তোক এতিয়াই নিপাতি পেলাব পাৰে।" এই অযথা কথাই সমাবলৈ ধৰা জুইত ঘিঁউ ঢলাৰ দৰে মহাশক্তি ভীষ্মদেৱৰ শাম কাটিবলৈ ধৰা ক্ৰোধানল আকৌ ভমকৈকৈ জ্বলাই তুলিলে। তেওঁ ক্ৰোধত অলপ অথিৰ হৈ শিশুপালৰ উদ্দেশে এই বুলি আকৌ বাক্যবাণ মাৰিলে,—"হেৰ, অজ্ঞান শিশুপাল! তই মূৰ্খ অনাচাৰীয়ে কি বুজিবি কৃষ্ণ-মাহাত্ম্য! যাৰ অলৌকিক চৰিত্ৰই আজি জগতক তথা লগাইছে, তোৰ নিচিনা সামান্য নৰে সেই চৰিত্ৰৰ কি মোল বুজিবি! যিবিলাক সাধাৰণ ৰাজমণ্ডলীলৈ থিয়াই তই মোক বিভীষিকা দেখুৱালি, তেনে মণ্ডলীক মই তৃণৱত বোধ কৰোঁ।"[৩] ভীষ্মৰ মুখৰপৰা সেই গপ্-মৰা কথা শুনি, ন্যায়বান, ধৰ্ম্মপ্ৰাণ বাছকবনীয়া ৰজা, ঋষি, মুনি, আচাৰ্য্য পুৰোহিত ইত্যাদিত বাজে, সভাস্থ সাধাৰণ ৰজা-মহাৰজা প্ৰায় আটাইবিলাক অপমানিত হৈ গৰ্জ্জি উঠিল। ভীষ্ম-দেৱক পশুৰ দৰে খুছি-কাটি কিম্বা ভিঙ্গিত শিল বান্ধি পানীত পেলাই দি, নাইবা জীয়াই-জীয়াই জ্বলন্ত জুইত দি বধ কৰি ৰাজসূয়-যজ্ঞ বঙা কৰিবলৈ সকলো উদ্যত হল। মহাযজ্ঞৰ মহাসভাত হুলস্থূল লাগি উঠিল। যুধিষ্ঠিৰ আকৌ অস্থিৰ হৈ পৰিল। সমবেত সুধীমণ্ডল টলিবলৈ ধৰিলে। কিন্তু প্ৰশান্ত সাগৰ যেন শাঁত মতিমান্ শ্ৰীকৃষ্ণ তেতিয়াও ধীৰ, শান্ত আৰু অটল; তেওঁ আদিৰেপৰা সেই অন্তিমলৈকে নিৰূপিত সৰ্ব্বোচ্চ ৰত্নাসনত উপবিষ্ট হৈ অচল অটলভাৱে নিটাল মাৰিয়েই থাকিল। তেওঁৰ তেনেকুৱা অদ্ভুত সহিষ্ণু-তালৈ লক্ষ্য কৰি সমবেত জনমণ্ডলী স্তম্ভিত আৰু বিমোহিত হল।

যজ্ঞবিনাশনৰ আশঙ্কা ক্ৰমাৎ বলৱত হৈ উঠা দেখি শেহান্তৰত মহামতি ভীষ্মদেৱে তেওঁৰ সুনিপুণ ৰাজনৈতিক কৌশল তৰিবলৈ পুনৰপি আগ বাঢ়িলে। তেওঁ প্ৰথমতে ক্ৰোধত অধীৰ আৰু উন্মত্ত হৈ উঠা ৰাজমণ্ডলীক শান্ত কৰিবৰ উদ্দেশে গম্ভীৰভাৱে মৃদুমধুৰ বচনেৰে এই বুলি সম্বোধন কৰিলে, "হে ৰজা-মহাৰজাসকল, আপোনালোক

---

(১) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৪৪ আধ্যা।

(২) হিমালয় পৰ্ব্বতৰ গুহাত ভুলিঙ্গ নামে এবিধ বিটৃশগুণ সদৃশ চৰাই আছিল। তাৰ গা-গধুৰ বাবে উৰি ফুৰি আন চৰাইৰ দৰে আহাৰ বিচাৰি খাব নোৱাৰে; গতিকে সি বাঘ, সিংহ আদি মঙ্গহ খাই জীয়াই থকা জন্তুৰ আঁৰে আঁৰে ফুৰে। বাঘ, সিংহ শুই থাকোঁতে ভুলিঙ্গ পক্ষীয়ে মুখৰ আগত জোপ্ লৈ বহি থাকে। বাঘ-সিংহই টোপনিত কেতিয়াবা হামিয়াই মুখ মেলিলে কোৱাৰিত লাগি থকা মঙ্গহৰ কৰ্হাল সি খুটিয়াই খায়।

(৩) মহাভাৰত, সভাপৰ্ব্ব, ৰাজসূয়িক পৰ্ব্বাধ্যায়, ৪৫ আধ্যা।

অবাবত মোৰ ওপৰত ৰুষ্ট হৈ উঠিছে। যি বিষয় লৈ এই কন্দল-অগ্নি জ্বলি উঠিছে, তাৰ মই মূঠেই নিমিত্ত-কাৰণ; তাৰ আচল কাৰণ আৰু প্ৰকৃত লক্ষ্যস্থল হৈছে শ্ৰীকৃষ্ণ। এই সভাত সেই কৃষ্ণ স্বয়ং বৰ্ত্তমান। এতেকে, যাৰ নিজৰ বীৰত্ব আৰু বাহুবলৰ পৰিচয় দিবলৈ ইচ্ছা আছে, তেওঁ ক্ষত্ৰিয় আচৰণ অনুসৰি, শ্ৰীকৃষ্ণৰে সৈতে পোন্-পাকে দ্বৈৰথ যুদ্ধ দিবলৈ তেওঁক আহ্বান কৰিলেই হয়চোন। কৃষ্ণক নিপাত কৰিলেই সৰ্ব্বজঞ্জাল আপুনি মাৰ যাব।" ইমানকে সঙ্কেত দি ভীষ্মদেৱে শিশুপালৰ অপৰিহাৰ্য্য পৰিণামৰ প্ৰত্যক্ষ প্ৰমাণৰ প্ৰতীক্ষাত আকৌ আসন গ্ৰহণ কৰিলে।

ভীষ্মৰ উক্তিত চতুৰ্গুণে উত্তেজিত হৈ, উন্মত্ত শিশুপালে একেচাবে আসনৰপৰা উঠি আহি তীব্ৰ ককৰ্থনা বাক্যেৰে শ্ৰীকৃষ্ণৰ সমুখত ভীষণ পদাঘাত মাৰি ক্ষত্ৰিয় ৰীতি[1] অনুসৰি বাৰম্বাৰ যুদ্ধযাজ্ঞা কৰিবলৈ ধৰিলে। শিশুপালৰ আস্ফালনত সভা তৰধ লাগিল; মাথোন ভীষ্মদেৱৰ মুখত এই মন্ত্ৰফাকি থাকি থাকি উচ্চাৰিত হৈছিল,—"য'তে কৃষ্ণ, ত'তে ধৰ্ম্ম; য'তে ধৰ্ম্ম, ত'তে জয়।"

সপ্তবিংশ আধ্যা

শিশুপাল-বধ

ইমানপৰ যজ্ঞ-সভাত শিশুপালে উপস্থিত কৰা উৎপাত-অশান্তিলৈ আওকাণ কৰি শ্ৰীকৃষ্ণ আপোন-মনেৰে নিটাল মাৰি আছিল; মাথোন মাজে-মাজে গোপীনাথৰ মনোমোহা মিচিকিয়া হাঁহি একোটিয়ে সভাস্থ জনমণ্ডলীৰ মনৰপৰা আন্তৰিক আশঙ্কাৰ উদ্বিগ্নতা হৰণ কৰিছিল। শিশুপালৰ তৰ্জ্জন-গৰ্জ্জনলৈ জনাৰ্দ্দনৰ ভ্ৰূক্ষেপ নাই, ভীষ্মদেৱৰ ভক্তি-প্ৰশংসালৈকো গোবিন্দৰ কৰ্ণপাত নাই; পৰমানন্দ মাধৱে আপোন কৰ্ত্তব্যত[2] মাথোন একান্ত মতি ৰাখি যজ্ঞৰ বিঘ্ন-বিনাশনলৈ মনে মনে অতি সাৱধানে সক্ষম হৈ আছিল। কিন্তু, শ্ৰীমধুসূদনৰ সেই উদাসীনতা আৰু সৰহপৰ নিটিকি-লগৈ, শিশুপালৰ যুদ্ধ-আস্ফালনে কেশৱৰ সেই শান্তি-ব্ৰত ভঙ্গ কৰিলে, বাসুদেৱে সেই আহ্বান অগত্যা আগ্ৰহেৰে গ্ৰহণ কৰি, হৰিষ্ অন্তৰে ধীৰ-গম্ভীৰভাৱে আসন এৰি আগন্তুক দ্বৈৰথ যুঁজলৈ আগ বাঢ়িলে। শ্ৰীকৃষ্ণদেৱৰ সেই সাময়িক প্ৰশান্ত মূৰ্ত্তি আৰু আনন্দময় আচৰণে সেই বিৰাট যজ্ঞ-সভাক তৰধ লগালে, প্ৰত্যেকটি নৰপ্ৰাণীয়ে যাদৱৰায়ৰ প্ৰতি উৎকণ্ঠিত চিত্তেৰে আৰু অনিমেষ চকুৰে চাবলৈ ধৰিলে।

তাৰ পাচত, শ্ৰীকৃষ্ণদেৱে স্থিৰগম্ভীৰ স্বৰেৰে নিজৰ বক্তব্য ব্যক্ত কৰিবলৈ আৰম্ভ কৰিলে। বাসুদেৱে সমবেত ৰজা, মহাৰজা, ঋষি, মুনি, আচাৰ্য্য, পুৰোহিত প্ৰমুখ্যে সৰু-বৰ সবাৰকে সমজুৱাকৈ সম্বোধন কৰি এই বুলি কবলৈ ধৰিলে, "হে সমবেত সভ্যমণ্ডলী! আপোনাসকলক সাক্ষী কৰি মই অগত্যা অপৰিহাৰ্য্য দ্বৈৰথ যুঁজলৈ[3] অগ্ৰসৰ হৈছোঁ। কিয়নো, মই ক্ষত্ৰিয়-সন্তান; যুদ্ধলৈ আহূত হৈ নিবৃত্ত হবলৈ মোৰ বাট নাই। এতেকে, ইয়াৰ পৰিণামৰ প্ৰত্যবায়ে মোক নাপায়। জয়-জয়তে মই স্বীকাৰ কৰোঁ যে, মোৰ নিজৰ স্বাৰ্থৰ অৰ্থে এই যুদ্ধত লিপ্ত হবলৈ মই ওলোৱা নাই, শিশুপালৰ ইতিপূৰ্ব্বৰ বৈৰাচৰণৰ প্ৰতিকাৰ কৰিবৰ অভিপ্ৰায়েও মই এই যুদ্ধত প্ৰবৃত্ত হবলৈ উদ্যত হোৱা নাই; এই সভাস্থলত সৰ্ব্বসমক্ষত শিশুপালে গৰ্হিত-

(১) ক্ষত্ৰিয় ৰীতি অনুসৰি দ্বৈৰথ-যুদ্ধলৈ আহূত হলে বিমুখ হব নাপায়! এই কটকটীয়া অকাট্য ৰীতি পালন কৰিবলৈ কৃষ্ণ-কৌশলত বাধ্য হৈয়েই দুৰ্জ্জয় জৰাসন্ধই অগত্যা ভীমসেনৰ হাতত দেহা এৰিব লগাত পৰে।

(২) ওপৰত যথা ঠাইত কৈ অহা হৈছে যে, শ্ৰীকৃষ্ণৰ গাত যজ্ঞ-ৰক্ষাৰ বাব পৰিছিল।

(৩) দুজন বীৰৰ মাজত লগা বল পৰীক্ষাৰ যুদ্ধ। এই যুদ্ধত বিনা-সৈন্য-সামন্তেৰে এজন ক্ষত্ৰিয় বীৰৰ আহ্বান মতে আনজন যুদ্ধত প্ৰবৃত্ত হয়। ক্ষত্ৰিয়-সন্তান এনে যুদ্ধত কদাপি পৰাঙ্মুখ হব নাপায়। সততে ই মল্লযুদ্ধৰ অন্তৰ্ভুক্ত। কিন্তু তাত অনভ্যস্ত বীৰে অস্ত্ৰধাৰী বা ধনুৰ্দ্ধাৰী ৰূপেও দ্বৈৰথ ৰণত প্ৰবৃত্ত হয়। শ্ৰীকৃষ্ণ আৰু শিশুপালৰ মাজত এই যুদ্ধ অস্ত্ৰ-শস্ত্ৰ আৰু ধনুৰ্দ্ধাৰী সাজ-সমলেৰে লাগিছিল।

ভাৱে মোক গৰিহণা দিয়াৰ প্ৰতিশোধ লবৰ মানসেও মই এই মাৰাত্মক যুঁজলৈ সাজু হোৱা নাই ; মই যুদ্ধত প্ৰবৃত্ত হবলৈ উদ্যত হৈছোঁ পাণ্ডৱৰ হৈ, যুঁজলৈ সষ্টম হব লগাত পৰিছোঁ, উপস্থিত ধৰ্ম্ম-যজ্ঞ ৰক্ষা কৰিবলৈ। শিশুপালৰ দৰে মই শিশুপালক অযাচিতে নিন্দা নকৰোঁ, কিন্তু যুদ্ধাৰম্ভণৰ আগতে গোটাদিয়েক সত্য ঘটনাৰ বিষয়ে সমবেত ৰাইজক জনাই লোৱাটো মই প্ৰয়োজন বোধ কৰিছোঁ। শিশুপাল-কৃত শতেক অপৰাধ মাৰ্জ্জনা কৰিবলৈ শিশুৰ মাক মোৰ পেহীদেৱৰ ওচৰত মই প্ৰতিশ্ৰুত। সেই অনুযায়ী মই ক্ৰমান্বয়ে শত দোষ ক্ষমা কৰি আহিছোঁ। আজি শেহৰ দোষ এশৰ ওপৰঞ্চি হৈ উঠিছে। আৰু, মোৰ সৌভাগ্যৰ বিষয় যে, সেই ওপৰঞ্চি এই বিৰাট সভাত উপস্থিত ৰজা, মহাৰজা, ঋষি, মুনি, আচাৰ্য্য, পুৰোহিত আদি প্ৰমুখ্যে ভাৰতৰ অগ্ৰগণ্য নৰ-নাৰীৰ সাক্ষাতত ঘটি উঠিছে। ইতিপূৰ্ব্বে সহি অহা শত অত্যাচাৰৰ ঘাই ঘাই গোটাচেৰেক মাথোন উদুকিয়াওঁ। এসময়ত মই কোনো কাৰ্য্যোপলক্ষত[১] প্ৰাগ্‌জ্যোতিষ্‌পুৰলৈ যাত্ৰা কৰাৰ সম্বেদ্‌ পাই, সেই ছেগতে এই দুৰাচাৰে চোৰৰ দৰে গৈ দ্বাৰাৱতী নগৰীত জুই দি যাদৱবৰ্গক অশেষ অত্যাচাৰ কৰে ; মোৰ পিতৃ-গুৰু বসুদেৱে যেতিয়া অশ্বমেধ যজ্ঞ অনুষ্ঠানৰ সংকল্পেৰে কাৰ্য্যাৰম্ভ কৰে, তেতিয়া এই দুৰ্দ্দান্ত হিংসুকে যজ্ঞাশ্ব চুৰ কৰি নি সেই মহানুষ্ঠানত বিঘ্ন জন্মায় ;[২] মোৰ লক্ষ্মীস্বৰূপা ভাৰ্য্যা ৰুক্মিণী দেৱীৰ বিবাহ-প্ৰসঙ্গ লৈ এই সভাতে অলপৰ আগেয়ে এই দুৰাশয়ে মোক যি অপমান কৰিলে, তাক ৰাইজে শুনিছেই। যাদৱীৰ গৰ্ভজাত হৈও, এই পাষণ্ডই সততে যাদৱৰ অপকাৰ কৰিবই লাগিছে। কিন্তু, কেৱল সেই যাদৱীৰ ওচৰত প্ৰতিশ্ৰুত হেতুকে হে ইয়াৰ অত দোষ সহিলোঁ, আৰু নসহোঁ।"

আজ্ঞামাত্ৰে দাৰুকে[৩] ৰথ আনি যতনাই দিয়াত সশস্ত্ৰ চক্ৰপাণি শান্তিৰক্ষকৰূপে ৰথত চৰিল। আন হাতে, শিশুপালেও সৰ্ব্ব-অস্ত্ৰ-শস্ত্ৰ যুগুত কৰি লৈ নিজৰ ৰথত উঠি 'যুদ্ধং দেহি' আহ্বানেৰে আফালিবলৈ ধৰিলে। ক্ষন্তেকৰ ভিতৰতে, সেই ৰাজসূয়যজ্ঞ-মহাসভা এক ভীষণ ৰণক্ষেত্ৰত পৰিণত হল। সমবেত ৰাইজ বিস্ময়-বিষাদত জঁয় পৰিল। যজ্ঞকৰ্ত্তা যুধিষ্ঠিৰ বেজাৰত তলমূৰ হল। প্ৰাণকৃষ্ণৰ হৈ স্বয়ং সেই যুদ্ধ বুকু পাতি লোৱাৰ হাবিয়াসত মহাবল ভীমসেনে দাঁত কৰচিবলৈ ধৰিলে। কৃষ্ণ-সখি অৰ্জ্জুনে সন্তপ্তচিতেৰে সেই দ্বৈৰথ ৰণ-পন্থা যথা অনুক্ৰমে সজালেগৈ। নকুল-সহদেৱে ৰণৰ ফলাফল উদ্বিগ্নভাৱে প্ৰতীক্ষা কৰিলে। মুঠৰ ওপৰত, সভাস্থ সমস্ত নৰ-নাৰী উগুল-থুগুল ভাবত অস্থিৰ হৈ পৰিল। কিন্তু, ভীষ্মদেৱ আনন্দময়, তেওঁৰ চিত্ত ধনিষ্ঠামানো বিচলিত হোৱা নাই, তেওঁ পুনৰপি সেই একে ফাঁকি মন্ত্ৰোচ্চাৰণ কৰি নিশ্চিন্ত হল,—"য'তে কৃষ্ণ, ত'তে ধৰ্ম্ম ; য'তে ধৰ্ম্ম, ত'তে জয়।"

যথাবিধি দ্বৈৰথ ধৰ্ম্মযুদ্ধ আৰম্ভ হল। এপক্ষে দুৰ্জ্জয় জৰাসন্ধৰ ভূতপূৰ্ব্ব ঘাইসেনাপতি চেদীশ্বৰ শিশুপাল, আন-পক্ষে ভাৰতমান্য সৰ্ব্বশ্ৰেষ্ঠ বীৰচক্ৰশৰযুত সাৰঙ্গধনুৰ্দ্ধৰ দ্বাৰকেশ্বৰ স্বয়ং শ্ৰীকৃষ্ণ। সেই হেন দুজন বীৰৰ প্ৰাণান্তক সংগ্ৰামত পৃথিৱী তলবলাই উঠিল ; সমবেত জনমণ্ডলীৰ হৃৎকম্প উপস্থিত হল ; প্ৰকৃতি তৱধ লাগিল ! কিন্তু, সেই ভয়ঙ্কৰ ৰণ সৰহপৰ নিটিকিল ; সহবেদনাশীল শ্ৰীকৃষ্ণই অগত্যা সাৰঙ্গ-সংযোজিত সুতীক্ষ্ণ শৰসন্ধান কৰিছিল যদিও, শৰবিদ্ধ শিশুপালক সৰহপৰ যাতনা নিদিবৰ অভিপ্ৰায়ে তেওঁৰ অব্যৰ্থ চক্ৰশৰ নিক্ষেপ কৰি ততালিকে শিশুৰ শিৰ কাটি মাটিত পেলালে। দুৰ্জ্জয় বীৰ মহা অভিমানী শিশুপালৰ শিৰচ্যুত শৰীৰ মাটিত ঢলি পৰিল ! অদ্ভুত বীৰ অৰাতিনিসূদন ভগবান বাসুদেৱে সমগ্ৰ ভাৰতৰ সমবেত মহা-মহা বীৰপুৰুষসকল প্ৰমুখ্যে সভাস্থ বিৰাট জনমণ্ডলীৰ মনত বিস্ময় লগাই ধীৰ, স্থিৰ, নিৰুদ্বেগ চিতেৰে ৰথৰপৰা নামি বিনীতভাৱে আকৌ নিজৰ আসন গ্ৰহণ কৰিলেগৈ।

শিশুপালৰ লগতে যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞৰ সকলো

(১) এই যাত্ৰাত শ্ৰীকৃষ্ণই নৰকাসুৰৰ উৎপাত নাশ কৰিবৰ উদ্দেশ্যে সসৈন্যে প্ৰাগ্‌জ্যোতিষপুৰলৈ আহিছিল। মহ ভাৰত, সভাপৰ্ব্ব, ৪৫ আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, শিশুপালবধ পৰ্ব্বাধ্যায়, ৪৫ আধ্যা।

(৩) দাৰুক শ্ৰীকৃষ্ণৰ সাৰথি।

অপায় নাশ হ'ল, আৰু তেওঁৰ লগত উজান দি উত্তেজিত হোৱা অলপধতুৱা ৰজাবিলাক ভয়ত তাপখাই কৃষ্ণ-যুধিষ্ঠিৰৰ শৰণাগত হ'লগৈ। তাৰ পাচত, ধৰ্ম্মৰাজ যুধিষ্ঠিৰে শিশুপালৰ মৃতদেহাৰ সৎকাৰ কৰিবলৈ ভ্ৰাতৃবৰ্গক আদেশ দি[1] নিশ্চিন্তচিত্তেৰে মহাযজ্ঞৰ বাকী ছোৱা কাৰ্য্য সম্পাদনত মনোনিবেশ কৰিলে। ৰাজ-পুৰোহিত ধৌম্য মুনিৰ স্থ-দিহা অনুসৰি, যথাসময়ৰ ভিতৰত ৰাজসূয় মহাযজ্ঞৰ সম্পূৰ্ণ কাৰ্য্য নিয়াৰিকৈ সমাপন কৰা হ'ল।

কৃষ্ণ-কৌশল আৰু কৃষ্ণ-বীৰ্য্যৰ ফলস্বৰূপ ধৰ্ম্মৰাজ যুধিষ্ঠিৰ, ৰাজসূয় মহাযজ্ঞ সমাপনৰ পাচত, অৱভৃথ স্নান[2] কৰি উঠি সপ্তম হোৱাত, ভাৰতৰ ভিন্-ভিন্ দেশ-প্ৰদেশৰ-পৰা আহি সমবেত হোৱা ৰজা-মহাৰজাসকলে সিবিলাকৰ মানীত ৰাজচক্ৰবৰ্ত্তী মহাৰাজ যুধিষ্ঠিৰৰ ওচৰত যথাবিধি ওলগ লৈ হৃষ্টচিত্তেৰে বিদায়-গ্ৰহণ কৰিলে। সদৌশেহত, সদৌভাৰতমান্য সৰ্ব্বশ্ৰেষ্ঠ আদৰ্শপুৰুষ যজ্ঞৰক্ষক-বিষয়া শ্ৰীকৃষ্ণদেৱে আত্মকৰ্ত্তব্য পালনত আৰু পাণ্ডৱৰাজৰ কৃত-কাৰ্য্যত কৃতাৰ্থম্মন্য হৈ ভীষ্মদেৱ, কুন্তীদেৱী, দ্ৰৌপদী, সুভদ্ৰা, পঞ্চপাণ্ডৱ প্ৰমুখ্যে সকলো পৰিজনবৰ্গৰ ওচৰত সাদৰে বিদায় লৈ, দ্বাৰাৱতী নগৰৰ অভিমুখে হৰিষ্ অন্তৰে সবান্ধৱে প্ৰত্যাগমন কৰিলে।

অষ্টবিংশ আধ্যা

শকুনি-সংবাদ

ধৰ্ম্মৰাজ যুধিষ্ঠিৰক নিমিত্তকাৰণ মাথোন লৈ, ধৰ্ম্মভূমি ভাৰতবৰ্ষৰ ইন্দ্ৰপ্ৰস্থত ধৰ্ম্মৰাজ্যৰ পৱিত্ৰ চানেকী সংস্থাপনেৰে জীৱনৰ এটি পুণ্যব্ৰত সাধন কৰি, ভাৰতৰ নানা দেশ প্ৰদেশৰপৰা ৰাজসূয়-যজ্ঞাৰ্থে আহূত ৰজা-মহাৰজাসকলক বিদায় দি স্ব-স্ব স্থানলৈ প্ৰস্থান কৰোৱাৰ পাচত, পৰমানন্দ শ্ৰীকৃষ্ণদেৱে স্বৰাজ্য দ্বাৰকালৈ পৰম আনন্দেৰে প্ৰত্যাগমন কৰিলে। বাসুদেৱৰ প্ৰত্যাগমনৰ পাচত, ইন্দ্ৰপ্ৰস্থত যজ্ঞ-যাত্ৰী আৰু কোনো নৰ'ল,—ৰ'ল মাথোন পাণ্ডৱৰ আপোন বংশৰ কৌৰৱ পৰিয়াল। কেইদিনমানৰ পাচত, সিবিলাকো বংশৰাজ ৰাজচক্ৰবৰ্ত্তী মহাৰজা যুধিষ্ঠিৰ আৰু পাণ্ডৱ পৰিয়ালৰ ওচৰত আত্মীয় বিদায় লৈ সৰল সন্তোষেৰে হস্তিনাপুৰলৈ উলটি আহিল। ইন্দ্ৰপ্ৰস্থত সিবিলাকৰ আৰু কেও নৰ'ল, সদৌশেহলৈ আদিকা পৰি ৰ'ল মাথোন কূটমন্ত্ৰী মোমায়েক শকুনিৰে[3] সৈতে দুৰ্য্যোধন।

শ্ৰীকৃষ্ণৰ উপস্থিতিয়ে দুৰ্য্যোধনৰ অন্তৰৰ ঈৰ্ষাগ্নি অন্তৰতে ঢাক খুৱাই ৰাখিছিল, সি বাহিৰ হৈ জ্বলিবলৈ ছেগ নাপাইছিল। এতিয়া, তেওঁৰ অনুপস্থিতিত স্থ-ছেগ পাই সেই অগ্নি-আঙ্গনি চকুৰে-মুখে ভমক্ ভমক্কৈ ওলাবলৈ ধৰিলে। তাতে আকৌ শকুনি মন্ত্ৰণাৰ অনুকূল বিচ্ পাই, সি পৰশ্ৰীকাতৰ দুৰ্য্যোধনক উন্মাদ বৰ্ত্তিকাধাৰীৱৎ উত্ৰাৱল কৰি তুলিলে। দুৰ্য্যোধনে কয় কি, দেখে কি, তেওঁ নিজে তত্ ধৰিব নোৱাৰা হ'ল। পদে-পদে তেওঁৰ কথাত বিভ্ৰাট আৰু খোজেপতি প্ৰমাদ ঘটিবলৈ ধৰিলে। ইন্দ্ৰপুৰী সদৃশ্ ইন্দ্ৰপ্ৰস্থৰ সৌন্দৰ্য্যই তেওঁৰ চকুত চমক লগালে, যিমান চায়, সিমান তেওঁ মৰীচিকাৰ ভ্ৰমপ্ৰমাদত পৰে। ময় নামক দানৱ খনিকৰৰ দ্বাৰাই নিৰ্ম্মিত যুধিষ্ঠিৰ ৰজাৰ বিতোপন বৰচ'ৰাৰ সৌন্দৰ্য্যে তেওঁৰ দৃষ্টিত ভ্ৰম-প্ৰমাদ ঘটোৱাৰ কেইবাটাও জলন্ত পটন্তৰ মহাভাৰতৰ সভাপৰ্ব্বত জিলিকি আছে।[4]

দুৰ্য্যোধনৰ মনোভাব আৰু ঢাকি ৰাখিব নোৱাৰা হ'ল। পাণ্ডৱ-বিদ্বেষভাব তেওঁৰ কথা আৰু কাৰ্য্যত দেখাদেখিকৈ

(১) ইতিছেগতে ধৰ্ম্মৰাজ যুধিষ্ঠিৰে মহীপাল শিশুপালৰ পুত্ৰক যথাবিধি চেদী ৰাজ্যত অভিষিক্ত কৰাই নিজৰ শৰণীয়া ৰজা পাতি ল'লে।—মহাভাৰত, সভাপৰ্ব্ব, শিশুপাল-বধ পৰ্ব্বাধ্যায়, ৪৫ আধ্যা।

(২) যজ্ঞ সমাপ্তিৰ পাচত কৰা স্নানৰ নাম অৱভৃথ স্নান।

(৩) শকুনি গান্ধাৰৰ অধিপতি স্থবল ৰজাৰ পুত্ৰ; সেই আপাহতে তেওঁ স্থবলনন্দন নামেও অভিহিত।—মহাভাৰত, সভাপৰ্ব্ব, শিশুপালবধ পৰ্ব্বাধ্যায়, ৪৫ আধ্যা।

(৪) ইন্দ্ৰপ্ৰস্থ ৰাজসভাৰ মোহত বিচলিত হৈ দুৰ্য্যোধনে এদিন যুধিষ্ঠিৰ ৰজাৰ বৰচ'ৰাৰ স্ফটিকময় মজিয়াত জলভ্ৰম ঘটি পৰিধেয় বস্ত্ৰ কোঁচাই লৈ নামি পাৰ হবলৈ

ধৰা পৰা হল। গতিকে কূটমন্ত্ৰী শকুনিয়ে গতিক বিষম মানি যিমান সোনকালে সম্ভৱ ইন্দ্ৰপ্ৰস্থবপৰা দুৰ্য্যোধনক আঁতৰাই লৈ ঘৰলৈ উলটিবলৈ গুপ্ত কৌশলত ধৰিলে। দুৰ্য্যোধনে ইন্দ্ৰপ্ৰস্থ আহিব নোখোজে, শকুনিয়েও নেৰে। এইভাৱে কিছুমান গুপুতে অনিয়া-অনিকৈ থাকি শেহান্তৰত শকুনিয়ে ইন্দ্ৰপ্ৰস্থৰাজ্য লাভ কৰি দিবলৈ বুলি প্ৰতিশ্ৰুত হোৱাত, দুৰ্য্যোধন অগত্যা উলটিবলৈ মান্তি হল।[১]

হস্তিনাপুৰলৈ উলটি আহি দুৰ্য্যোধন আৰু দুঃশাসনৰে সৈতে শকুনি গুপ্ত মন্ত্ৰণাত বহিল। তেওঁ এই সিদ্ধান্ত কৰিলে যে, ধৰ্ম্মৰাজ যুধিষ্ঠিৰক পাশা-খেলত জিনি তেওঁৰ সৰ্ব্বস্ব হৰণ কৰিব। যুধিষ্ঠিৰ পাশাখেলৰ বৰ অনুৰাগী, যদ্যপি তেওঁ সেই খেলত সিমান প্ৰোক্ত নহয়। গতিকে, তেওঁক পাশা-পণত নিয়োগ কৰিবলৈ বৰ টান নহব। তাৰোপৰি, ধৰ্ম্মমতে যুদ্ধলৈ আহ্বান কৰিলে কোনো ক্ষত্ৰিয়সন্তানে অগ্ৰাহ্য কৰিব নোৱাৰে। দ্যূতক্ৰীড়াৰ পণ আৰু দ্বৈৰথ যুদ্ধৰ পণ সমান ব্যৱস্থা। আৰু, সবাতোকৈ উত্তম ছেগ সেই সময়ত শ্ৰীকৃষ্ণৰ অনুপস্থিতি। তেওঁ ৰাজসূয়-যজ্ঞ সম্পাদানাৰ্থে ইন্দ্ৰপ্ৰস্থত ভালেমান দিন থাকি স্বৰাজ্যলৈ উলটিছে মাথোন; গতিকে সততকাই শ্ৰীকৃষ্ণই আকৌ দ্বাৰকা এৰি আহিব নোৱাৰিছে এথোন। তদুপৰি, তেওঁৰ অনুপস্থিতিত ছেগ ধৰি দ্বাৰকা আক্ৰমণৰ অৰ্থে কৃষ্ণ-শত্ৰু কোনো-কোনোৱে আয়োজন কৰাৰো শকুনিয়ে সম্ভেদ্ পাইছে। শকুনি পাশাখেলত অদ্বিতীয় পণ্ডিত। কৌশলৰ ওপৰত যুধিষ্ঠিৰৰে সৈতে সেই খেলত তেওঁ স্বয়ং বহিবলৈ গুপুতে স্থিৰ কৰিলে।

এতিয়া, যুধিষ্ঠিৰক হস্তিনাপুৰলৈ কোনো ফন্দেৰে অনাব পাৰিলেই হয়। তাৰ উপায় কিন্তু শকুনিয়ে সহজে লাভ কৰা সম্ভৱপৰ নহয়; কিয়নো, ৰাজচক্ৰবৰ্ত্তী ৰাজাধিৰাজ মহাৰজা যুধিষ্ঠিৰক হস্তিনাপুৰলৈ আহ্বান কৰিব পাৰে এনেজন লোক দুৰ্য্যোধনৰ দলত নাই। এক ধৃতৰাষ্ট্ৰ বুঢ়া-ৰজাত বাজে আন কাৰো তেনেকুৱা এক্তিয়াৰ নাই। এতেকে, কোনো উপায়েৰে পিতৃৰাজ ধৃতৰাষ্ট্ৰক সেই অৰ্থে সৈমান কৰাব পাৰিলেই দুৰ্য্যোধনৰ দুৰভিসন্ধি সিদ্ধি হয়। সেই কাৰণে, শকুনি আৰু দুৰ্য্যোধনে দিনে-ৰাতিয়ে লাগি বুঢ়া-ৰজাক ঘূৰাবৰ চেষ্টাত ধৰিলে। প্ৰথমে, শকুনিৰ পাপ-মন্ত্ৰণাই ধৃতৰাষ্ট্ৰক অলপো টলাব নোৱাৰিছিল; কিন্তু শেহান্তৰত দুৰ্য্যোধন উন্মাদ হৈ পৰাত, তেওঁ যুধিষ্ঠিৰক হস্তিনাপুৰলৈ আহ্বান কৰা প্ৰস্তাৱত অগত্যা মান্তি হলগৈ। শকুনিৰ মন্ত্ৰণাৰ ফেৰত পাকলাগি নিষ্পাপী ধৃতৰাষ্ট্ৰয়ো পাপাচৰণ কৰিবলৈ বাধ্য হল; দুৰ্য্যোধনক এৰাব নোৱাৰি তেওঁ সেই পাপ-অভিসন্ধি গোপন কৰি, প্ৰবঞ্চনাৰ ওপৰত প্ৰকাশ্যে জ্ঞাতি-নিমন্ত্ৰণ দি যুধিষ্ঠিৰক হস্তিনাপুৰলৈ আগবঢ়াই আনিবৰ কাৰণে ধৰ্ম্মাত্মা বিদুৰক পাচিলে[২]। পাশা-পণৰ বিষয়ে সেই সময়ত সম্প্ৰতিকলৈ গোপন ৰখাৰ আচল অৰ্থ এই যে, যদিস্যাৎ কোনো সূত্ৰে শ্ৰীকৃষ্ণই তাৰ সম্ভেদ্ পায়, তেন্তে সকলো বৃথা হব! আৰু তেনেকুৱা এটা বিষয়ত বাসুদেৱৰ পৰামৰ্শ নোলোৱাকৈ যে ধৰ্ম্মৰাজ যুধিষ্ঠিৰে খোজ এটাও আগ নবঢ়ায়, সেইটো, ধ্ৰুৱ।

ধৰি পাকঘূৰণি খাই তাৰ চৌপাশে ঘূৰি ফুৰিছিল; আৰু শেহান্তৰত পানীত পিছলখাই পৰাদি সেই স্ফটিক মজিয়াত চিট্ হৈ পৰি হাস্যাস্পদ হৈছিল! কেতিয়াবা সেই ৰবচ'ৰাৰ চৌকাষে চকচকীয়া স্ফটিকময় পানীপোতা আৰু তাৰ মাজে মাজে প্ৰফুল্ল পদ্মফুলৰ সৈতে একো দোভা সৰোবৰ সদৃশ পানী দেখি, জলত স্থল আৰু স্থলত জলৰ ভ্ৰম ঘটি ভ্ৰান্ত দুৰ্য্যোধন কেইবাৰাৰো অপদস্ত হৈছিল! সেই ভ্ৰমপ্ৰমাদ চৰি উঠাত, দুৰ্য্যোধনে কেতিয়াবা স্ফটিক স্তম্ভকে মুকলি-দুৱাৰ ভাবি পোনাই গৈ স্তম্ভত খুন্দা খাই নিজৰ কুম্ ভাঙিছিল, কেতিয়াবা চকচকীয়া পাথৰ নিৰ্ম্মিত দুৱাৰেদি সৰকিবলৈ বিচাৰি উলটি কৰ্ণ'লখাই পৰিছিল! দেখি দেখি ভীম, অৰ্জ্জুন, নকুল, সহদেৱ আৰু আন-আন পাণ্ডৱ পৰিয়ালবৰ্গে খিত্‌পাৰি হাঁহিছিল, ইত্যাদি।

—মহাভাৰত, সভাপৰ্ব্ব, দ্যূতপৰ্ব্বাধ্যায়,
৪৭ আধ্যা।

(১) মহাভাৰত, সভাপৰ্ব্ব দ্যূতপৰ্ব্বাধ্যায়, ৫৬ আধ্যা।
(২) মহাভাৰত, সভাপৰ্ব্ব, দ্যূতপৰ্ব্বাধ্যায়, ৫৭ আধ্যা।

উনত্ৰিংশ আধ্যা

দ্ৰৌপদীৰ বস্ত্ৰহৰণ

হস্তিনাপুৰত দিনচেৰেক জ্ঞাতি-আলহী হৈ থকাৰ মাজতে শকুনিৰ মন্ত্ৰণামতে দুৰ্য্যোধনে এদিন যুধিষ্ঠিৰক পাশা-পণলৈ আহ্বান কৰিলেগৈ। পোনতে, সেই পাশা-পণ গ্ৰহণ কৰিবলৈ যুধিষ্ঠিৰে অনিচ্ছা প্ৰকাশ কৰিছিল; কিন্তু আগধৰি পাঙ্গি থোৱা দিহা অনুযায়ী যেতিয়া দুৰ্য্যোধনে ক্ষত্ৰিয় ৰীতিৰ দোহাই দি সেই পণযুদ্ধ যাচ্ঞা কৰিলে, তেতিয়া ধৰ্ম্মভীৰু যুধিষ্ঠিৰে বাধ্য হৈ সেই পণ গ্ৰহণ কৰিলে। যথাসময়ত সেই পাশা-খেল আৰম্ভ কৰাৰ আগতে, দুৰ্য্যোধনে প্ৰস্তাৱ কৰিলে যে, তেওঁৰ হৈ শকুনিয়ে পাশাত ধৰিব, আৰু পণৰ বাবে দুৰ্য্যোধন গা হব।[১] সেই হেতু-বন্ধনেৰে শকুনি আৰু যুধিষ্ঠিৰৰ মাজত দ্যূতক্ৰীড়া চলিবলৈ ধৰিলে। পিচে, যুধিষ্ঠিৰে যতবাৰ পণ কৰে, ততবাৰ হাৰে; আৰু শকুনিয়ে যিহতে ধৰে, তাতে জিকে। সেই অনুক্ৰমে পণ হাৰোঁতে হাৰোঁতে ৰাজচক্ৰবৰ্ত্তী ৰাজাধিৰাজ ধৰ্ম্মৰাজ যুধিষ্ঠিৰে তেওঁৰ অক্ষয় ৰাজভঁড়ালৰ সমুদায় সম্পত্তি হাৰিলে। ঐশ্বৰ্য্য-সম্পদ অন্ত হোৱাত, অংশ অংশকৈ পণ কৰি গৈ থাকোঁতে তেওঁ ইন্দ্ৰপুৰী সদৃশ্ ইন্দ্ৰপ্ৰস্থৰাজ্য সমুদায় হাৰিলে।[২] সেই সৰ্ব্বস্ব অপহাৰী দ্যূতক্ৰীড়াৰ পণ ক্ৰমাৎ বাঢ়ি যাবলৈ ধৰা দেখি, সৰ্ব্ব-সংশয়চ্ছেদী ধৰ্ম্মাত্মা বিদুৰে অগ্ৰজ ৰজা ধৃতৰাষ্ট্ৰৰ জৰিয়তে সেই পাপকাৰ্য্যৰ সিমানতে সামৰণ পেলাবৰ সদিচ্ছাৰে বিস্তৰ বুজনি দিয়ালে; কিন্তু লুইতত বালিভেটা সদৃশ্ সি একো গুণ দিব নোৱাৰিলে, দ্যূতমদত উন্মত্ত দুৰ্য্যোধন আৰু শকুনিক একোপধ্যে নিৰস্ত কৰিব পৰা নগল।[৩] তাৰ পাচত, তেওঁ এজন-এজনকৈ ভীম, অৰ্জ্জুন, নকুল, সহদেৱ এই চাৰিজন ভায়েককো হাৰিলে। তাৰো পাচত তেওঁ নিজক নিজে পণ কৰি হাৰিলে! পাশাৰ সাংঘাতিক ৰাগিয়ে ধৰি তেওঁৰ সৰ্ব্বনাশ ঘটালে।* পাশা-পণত উন্মত্ত হৈ তেওঁ সৰ্ব্বস্বান্ত হল। ৰাজচক্ৰবৰ্ত্তী ৰজাৰ সৰ্ব্বস্ব দুৰ্য্যোধনৰ হল; এই সংসাৰত যুধিষ্ঠিৰলৈ আৰু একো নৰল। কিন্তু, পাপাত্মাদলৰ সিমানতো হেঁপাহ নুগুচিল; শকুনিয়ে অন্যায় উদগনি দি, সৰ্ব্বশেষত দ্ৰৌপদীকো পণ কৰালে;—যুধিষ্ঠিৰে দ্ৰৌপদীকো হাৰিলে![৪]

পণত হাৰি, সভ্ৰাতৃ আৰু সপত্নীক যুধিষ্ঠিৰ দুৰ্য্যোধনৰ শৰণীয়া হৈ পৰিল! পাপমতি দুৰ্য্যোধনে নিজৰ পাটলিত পাই পঞ্চ-পাণ্ডৱক বিস্তৰ অবাচ্য কৰ্কৰ্থনাৰে যথেচ্ছাচাৰ কৰিবলৈ বাকী নথলে। সিমানতো পৰিতৃপ্ত নহৈ, পাপাত্মা দুৰ্য্যোধনে পাণ্ডৱপত্নী দ্ৰৌপদী মহাৰাণীক বান্দীৰ দৰে ধৰি আনিবলৈ পূজনীয় দদায়েক ধৰ্ম্মাত্মা বিদুৰক পাচিলে। কিন্তু, সেই কথাত ধৰ্ম্মাত্মা বিদুৰে মৰ্ম্মাহত হৈ অগ্নিৱৎ জ্বলি উঠি অশেষ গৰিহণা দি সেই আদেশ অগ্ৰাহ্য কৰাত[৫], দুৰ্য্যোধনে দুৰাচাৰ ভায়েক দুঃশাসনক পাচিলে; দুঃশাসনে ৰজস্বলা অৱস্থাত একবস্ত্ৰা দ্ৰৌপদীক চুলিত ধৰি, কৌৰৱ ৰাজসভালৈ উকৰাই অনাদি ধৰি আনিলে গৈ। অন্তঃপুৰস্থ পূজনীয়া ৰমণীসকলৰ হাক-বচন, কাকুতি-মিনতি একোৱেই দুঃশাসনৰ পাষাণ হিয়া পমাব নোৱাৰিলে। আন কি, অগত্যা মাতৃপ্ৰতিম কুন্তী দেৱীয়ে আতুৰভাৱে আগচি ধৰাত, তেওঁক ঠেলা মাৰি পেলাই থৈ দ্ৰৌপদীক চোঁচোৰাই বাজ কৰি আনিলে গৈ![৬] ৰাজচক্ৰবৰ্ত্তী ৰজাৰ পটেশ্বৰী দ্ৰৌপদীক একবস্ত্ৰা অৱস্থাত আনি ৰাজ-সভাত থিয় কৰোৱাত ভীষ্ম, ধৃতৰাষ্ট্ৰ, বিদুৰ প্ৰমুখ্যে সভাস্থ সকলো জঁয় পৰিল। সভা তৰধ লাগিল; কাৰো মুখত একেষাৰ মাত নোলোৱা হল। এনেতে, সভাস্থ জ্ঞানী, মানী, বৃদ্ধ, বীৰ সকলোকে নিমাত দেখি, সমাজৰ মাজত উচিত বক্তব্য কৰিবলৈ বুলি, শামুকৰ গৰ্ভৰ মাণিকসদৃশ্ দুৰ্ভগীয়া ধৃতৰাষ্ট্ৰৰ অন্যতম পুত্ৰ পুণ্যাত্মা বিকৰ্ণ বীৰে নিৰ্ভীকচিত্তেৰে কুট্-মন্ত্ৰী শকুনিৰ কু-পৰামৰ্শমতে সমাধা কৰা অগ্ৰজৰ

(১) মহাভাৰত, সভাপৰ্ব্ব, দ্যূতপৰ্ব্বাধ্যায়, ৫৯ আধ্যা।
(২) মহাভাৰত, সভাপৰ্ব্ব, দ্যূতপৰ্ব্বাধ্যায়, ৬০-৬১-আধ্যা।
(৩) মহাভাৰত, সভাপৰ্ব্ব, দ্যূতপৰ্ব্বাধ্যায়, ৬২-৬৪ আধ্যা।
(৪) মহাভাৰত, সভাপৰ্ব্ব, দ্যূতপৰ্ব্বাধ্যায়, ৬৫ আধ্যা।
(৫) মহাভাৰত, সভাপৰ্ব্ব, দ্যূতপৰ্ব্বাধ্যায়, ৬৬ আধ্যা।
(৬) মহাভাৰত, সভাপৰ্ব্ব, দ্যূতপৰ্ব্বাধ্যায়, ৬৭ আধ্যা।

অন্যায় কাৰ্য্যৰ বিৰুদ্ধে কবলৈ ধৰিলে। বিকৰ্ণই অকাট্য যুক্তিৰে সৈতে সেই অন্যায় আচৰণৰ নিচেই শেহৰ ছোৱা পখালিবৰ চেষ্টাত ধৰিলে। তেওঁৰ যুক্তিমতে, দ্ৰৌপদীক পণ কৰিবলৈ যুধিষ্ঠিৰৰ কোনো এক্তিয়াৰেই নাছিল। কিয়নো, তেওঁ আগধৰি নিজক পণ কৰি হাৰি দ্ৰৌপদী-সম্পৰ্কত তেওঁৰ সৰ্ব্বসত্ত হেৰুৱাইছিল। এতেকে, দ্ৰৌপদী-পণ অন্যায় আৰু অযথা হেতুকে, যথাযোগ্য ক্ষতি পূৰণাৰ্থে যুধিষ্ঠিৰৰ পণত হেৰোৱা সৰ্ব্বস্ব প্ৰত্যাৰ্পণসহ তেওঁক ততালিকে মুক্তি দিয়া যুগুত বুলি বিকৰ্ণই যুক্তি দিলে। বিকৰ্ণৰ যুক্তি শুনি সভাস্থ সকলোৱেই তেওঁক সাধুবাদ দিবলৈ ধৰিলে। কিন্তু, যুক্তিৰ ধাৰ নধৰা অধৰমী দুঃশাসনে দ্ৰৌপদীক সভাৰ মাজত, শহুৰাদি গুৰুজনৰ আগত, বিবস্ত্ৰা কৰি লাজ দিবৰ কু-অভিপ্ৰায়েৰে দ্ৰৌপদীৰ পৰিধেয় বস্ত্ৰ হৰণ কৰিবলৈ আগ বাঢ়িলে। অবলা সধবা সতী দ্ৰৌপদী নিৰাশ্ৰয়া, অনাথিনী! তেওঁৰ মনোবল আছে, দেহবল নাই! কিন্তু, বাহিক শক্তিহীনা যদিও, তেওঁ আন্তৰিক ভক্তিবিহীনা হোৱা নাই। কৃষ্ণ-মাহাত্ম্যত দ্ৰৌপদীৰ অটল বিশ্বাস। সেই ভক্তি-বিশ্বাসৰ সুৰেৰে দ্ৰৌপদীদেৱীয়ে বিপদবন্ধু শ্ৰীকৃষ্ণদেৱক স্তুতি কৰিবলৈ ধৰিলে। সেইক্ষণৰ কৃষ্ণনামত দুৰ্দ্দান্ত দুঃশাসনো বিচলিত হল; শকুনি, দুৰ্য্যোধন প্ৰমুখ্যে ধৰ্ম্মদ্ৰোহী পাপাত্মা দলৰ অন্তৰতো আতঙ্ক উপস্থিত হবলৈ ধৰিলে। গতিকে দুঃশাসন সিমানতে ক্ষান্ত হল; কৃষ্ণ-স্মৰণে কৃষ্ণা-দ্ৰৌপদীৰ বস্ত্ৰহৰণ আধ্যাৰ আৰম্ভণতে সামৰণ পেলালে।[১]

ত্ৰিংশ আধ্যা

দ্ৰৌপদীৰ বৰলাভ

বিকৰ্ণৰ যুক্তিযুক্ত উক্তিত সভা স্তম্ভিত হল; বিশেষকৈ মহামতি ভীষ্মদেৱ তৰধ লাগিল। ন্যায়পৰায়ণ ধৰ্ম্মাত্মা বিদুৰ অতিকৈ ব্যথিত হল; আৰু বাৎসল্য ভাবৰ উথলনিত বৃদ্ধৰাজ ধৃতৰাষ্ট্ৰ বিচলিত হবলৈ ধৰিলে। ধৰ্ম্মৰাজ যুধিষ্ঠিৰত বাজে বাকী চাৰি পাণ্ডৱ আপোনাৰ খঙত আপুনি জ্বলি-পুৰি-মৰি ইতস্ততঃ হল, কিন্তু অগ্ৰজ-ৰাজৰ ধৰ্ম্মনষ্ট হোৱাৰ আশঙ্কাত সিবিলাক নিটাল মাৰি ৰল। তথাপি, ভীমসেনে সম্পূৰ্ণে খং সামৰিব নোৱাৰি 'দুঃশাসনৰ ৰক্তপান' আৰু 'দুৰ্য্যোধনৰ উৰুভঙ্গ' কৰিবলৈ প্ৰতিজ্ঞা কৰি থলে। ভীষ্মদেৱ আৰু বিদুৰে চাৰি-পাণ্ডৱক, বিশেষকৈ ভীমাৰ্জ্জুনক শান্ত কৰাৰ অভিপ্ৰায়ে মনৰ বিৰক্তি-ভাব মনতে মাৰ নিয়াই গোটাদিয়েক শান্তিদায়ক জ্ঞানগৰ্ভ উপদেশ দিয়েই ক্ষান্ত হল। কিন্তু, বৃদ্ধৰাজ ধৃতৰাষ্ট্ৰই নিজ পুত্ৰগণৰ কু-কাৰ্য্যৰ বাবে সিবিলাকক বিস্তৰ গৰিহণা দি অত্যন্ত বিচলিত হবলৈ ধৰিলে। সেই অৱস্থাত, তেওঁ কি সদুপায়েৰে পুত্ৰকৃত পাপ খণ্ডন কৰিব, আৰু দ্ৰৌপদীৰ অপমান লাঘৱ কৰিব তাকে গুণি-ভাবি অস্থিৰ হৈ পৰিল। সেই অস্থিৰ অৱস্থাত মৰ্ম্মস্পৰ্শী ভাষাৰে তেওঁ দ্ৰৌপদীক এই বুলি সম্বোধন ধৰিলে, "আই! তুমি মোৰ কুল-বোৱাৰী, তুমি পাণ্ডৱৰ গৃহলক্ষ্মী, কৌৰৱৰ গৌৰৱ-মণি; তোমাক মোৰ অবোধ সন্তানে এই সভাৰ মাজলৈ ধৰি আনি অপদস্থ কৰাত কুৰুকুলৰ মৰ্য্যাদা হানি হৈছে মাথোন। তুমি কৃষ্ণভক্তা কৃষ্ণা; তোমাৰ কৃষ্ণস্তুতিত পাণ্ডৱৰ মুক্তি অনিবাৰ্য্য। কিন্তু, মোৰ সন্তপ্ত মনক এফেৰি প্ৰবোধ দিয়াৰ অৰ্থে, মই তোমাক যি লাগে বৰ দিবলৈ আগ বাঢ়িছোঁ;--কি বৰ লাগে কোৱাঁ আই!"[২]

পিতৃপ্ৰতিম পৰমপূজনীয় শহুৰদেৱ ধৃতৰাষ্ট্ৰ ৰজাৰ অনুৰোধসূচক চেনেহৰ আদেশ শিৰোধাৰ্য্য কৰি, দ্ৰৌপদী-দেৱীয়ে হৰিষ অন্তৰে এই সমিচাৰেৰে তেওঁৰ প্ৰথম বৰ মাগিলে, "হে শহুৰ দেৱতা! আপুনি নিজগুণে তুষ্ট হৈ এই অভাগিনীক দয়া কৰি বৰ দিবলৈ অগ্ৰসৰ হৈছে যদি, মোৰ বৰপুত্ৰক "দাসপুত্ৰ" নামক অখ্যাতিৰপৰা মুক্ত কৰক; সেই অৰ্থে মোৰ স্বামী ধৰ্ম্মপুত্ৰৰ দাসত্ব মোচন কৰা হওক।"[৩] দ্ৰৌপদীৰ সেই প্ৰাৰ্থনা ততালিকে গৃহীত হল;

(১) মহাভাৰত, সভাপৰ্ব্ব, দ্যূতপৰ্ব্বাধ্যায়, ৬৮-৭০ আধ্যা।
(২) মহাভাৰত, সভাপৰ্ব্ব, দ্যূতপৰ্ব্বাধ্যায়, ৭১ আধ্যা।
(৩) মহাভাৰত, সভাপৰ্ব্ব, দ্যূতপৰ্ব্বাধ্যায়, ৭১ আধ্যা

বৃদ্ধৰাজ ধৃতৰাষ্ট্ৰই তথাস্তু বুলি, পুনৰপি দ্ৰৌপদীক বৰ যাজ্ঞা কৰি, এই বুলি কলে, “লোৱাঁ আই, আৰু কি বৰ লাগে লোৱাঁ।” দ্ৰৌপদীয়ে পৰম কৃতজ্ঞতাৰে সৈতে দ্বিতীয় ভিক্ষাত বাকী চাৰি-পাণ্ডৱৰ দাসত্ব মোচন আৰু পাণ্ডৱৰ ৰাজ্য আৰু ঐশ্বৰ্য্য-বিভূতি ঘূৰাই পাবলৈ বৰ প্ৰাৰ্থনা কৰিলে।[১] সৰলপ্ৰাণ বুঢ়া ৰজা ধৃতৰাষ্ট্ৰই হৰিষ চিত্তেৰে বৰ দান কৰি, দ্ৰৌপদীক আকৌ বৰ যাজ্ঞা কৰিলে। পণ্ডিতা দ্ৰৌপদীয়ে এইবাৰ এই বুলি সভক্তি নিবেদন কৰিলে, “হে প্ৰভো! যথেষ্ট হৈছে। বৰ প্ৰাৰ্থনালৈ আৰু মোৰ অধিকাৰ নাই। কিয়নো, বৈশ্য আৰু শূদ্ৰ এটা বৰৰ পাত্ৰ; ক্ষত্ৰিয় দুটা বৰৰ যোগ্য, ৰজা তিনিটা বৰৰ অধিকাৰী; ব্ৰাহ্মণৰ এশ বৰ প্ৰাপ্য। ইয়াৰ ওপৰঞ্চি বৰ অযথা। এতেকে, মোলৈ আৰু প্ৰাপ্য বৰ নাই; ক্ষমা কৰে যেন।[২]

সাধ্বী-সতী দ্ৰৌপদী দেৱীৰ বৰ প্ৰাৰ্থনাৰ ৰীতি-নীতি, জ্ঞান-যুক্তি দেখি-শুনি সভা পুনৰপি স্তম্ভিত হল; বৰৰপৰা সৰুলৈকে, মহাজ্ঞানীৰপৰা সামান্য জ্ঞানীলৈকে সকলোৱে কৃষ্ণ-আৰাধিকা পাণ্ডৱকুলবধূ কৃষ্ণা-দ্ৰৌপদীৰ অনুপম চৰিত্ৰৰ গুণকীৰ্ত্তন কৰিবলৈ ধৰিলে। পতিপ্ৰাণা ভাৰ্য্যাৰ সতীত্ব তেজৰ বলত পঞ্চ-পাণ্ডৱে দাসত্বৰপৰা মুক্ত হৈ পুনৰপি ৰাজ্য-সম্পদ আৰু ঐশ্বৰ্য্য-বিভূতিৰে সৈতে স্বাধীনতা লাভ কৰিলে।

একত্ৰিংশ আধ্যা

শাল্ব-বধ

কৃষ্ণ-অৰ্ঘ্য প্ৰদানত অপমান বোধ কৰি যিবিলাক ৰজা-মহাৰজা শিশুপালৰ ফলীয়া হৈছিল, আৰু শিশুপালক শ্ৰীকৃষ্ণই বধ কৰাৰ পাচত, ক্ৰোধ-ভয়ৰ পৰবশ হৈ যজ্ঞ-সভাৰপৰা উঠি গুচি গৈছিল, সিবিলাকৰ মাজত সিন্ধুনদৰ তীৰস্থ সৌভ ৰাজ্যৰ অধিপতি শাল্ব নামে এজন প্ৰতাপী ৰজা আটাইতকৈ প্ৰবল আছিল। তাৰোপৰি, তেওঁৰ ৰাজধানীৰপৰা দ্বাৰাৱতী নিচেই ওচৰ। সেই কাৰণে, তেওঁকে আগৰণুৱা পাতি বাকীবিলাকে তেওঁক সহায় কৰিবলৈ প্ৰতিশ্ৰুত হৈ, সিফালে যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞ সম্পাদনত শ্ৰীকৃষ্ণ লাগি থাকোঁতেই, ইফালে সেই ছেগতে শত্ৰুপক্ষে দ্বাৰকা ৰাজ্য আক্ৰমণ কৰিলেগৈ।

ইয়াৰ আগেয়েই কোৱা হৈছে যে, দীৰ্ঘদৃষ্টিৰ ৰাজ-নৈতিক আদৰ্শ পুৰুষ শ্ৰীকৃষ্ণই ৰাজসূয়-যজ্ঞলৈ আহূত হওঁতেই দ্বাৰকাৰ ওচৰ-ভৱিষ্যৎ চিন্তাচক্ষুৰে দেখা পাই, তাৰ সংৰক্ষণাৰ্থে অগ্ৰজ বলৰাম আৰু বৰপুত্ৰ প্ৰদ্যুম্ন কোৱঁৰ এই দুইজনক ঘাইনেতা পাতি অন্যান্য তৰুণ যদুবীৰসকলক যথা-যথা কৰ্ত্তব্যত নিয়োজিত কৰি সুদিহা লগাই থৈ গৈছিল। গতিকে, শাল্বৰ আক্ৰমণ সমাগত হোৱা দেখিয়েই আহুক সমন্বিতে বৃদ্ধৰাজ উগ্ৰসেনক ৰৈৱতক গিৰিত নিৰাপদে ৰাখি থৈ আহি, যাদৱসকলে বিষম আক্ৰোশেৰে শত্ৰুক ফেৰ পাতি ধৰিলে প্ৰদ্যুম্ন ঘাইসেনাপতিৰ অনুজ্ঞা অনুসৰি শাম্ব, গদ, সাৰণ, চাৰুদেষ্ণ প্ৰভৃতি তৰুণ যাদৱ সেনাপতিসকল সসৈন্যে ৰণলৈ আগ বাঢ়িল। জয়-জয়তে ক্ষেমবৃদ্ধি নামে শাল্বৰ ঘাইসেনাপতি আৰু কৃষ্ণনন্দন শাম্ব এই দুই বীৰৰ মাজত এখন তয়াময়া ৰণ লাগে; ৰণত শাম্বৰ জয়লাভ হয়। ৰণত ঘাটি ক্ষেমবৃদ্ধিক পলোৱা দেখি, বেগবান্ নামে আন এজন শাল্ব-সেনাপতিয়ে বিষম বিক্ৰমেৰে শাম্ব বীৰক আক্ৰমণ কৰেগৈ। কিন্তু, অচিৰে তেৱোঁ ৰণত পৰিল। তাৰ পাচত, বিবিন্ধ্য নামে আন এজন শাল্ব-সেনাপতিয়ে কৃষ্ণনন্দন ৰুক্মিণীৰ দ্বিতীয় তনয় চাৰুদেষ্ণৰে সৈতে তুমুল যুদ্ধত লিপ্ত হয়গৈ; কিন্তু যুদ্ধত আক্ৰমণকাৰী বিবিন্ধ্যাই সৰহপৰলৈ ঠাৱৰিব নোৱাৰিলে, আৰু তেওঁক ৰণত পৰা দেখি, তেওঁৰ সৈন্য-সামন্তই পলাই পত্ৰং দিলে।

সৌভ সৈন্যই ৰণত পিঠি-দেখুৱা শুনি সৌভেশ্বৰ শাল্ব নৰপতিয়ে মেঘৰ গাজনি জিনি গৰ্জ্জি উঠি স্বয়ং চতুৰঙ্গদলেৰে ৰণক্ষেত্ৰত উপস্থিত হলগৈ। তেওঁৰ সহযোগী অন্যান্য ৰজাসকলে যোগ দিয়া সৈন্য-সাহায্যৰে সৈতে বিচক্ষণীয়া ভাগ সৌভ-সৈন্য লগ লগাই লৈ, অগণন সেনা-সেনাপতিৰ

(১) মহাভাৰত, সভাপৰ্ব্ব, দ্যূতপৰ্ব্বাধ্যায়, ৭১ আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, দ্যূতপৰ্ব্বাধ্যায়, ৭১ আধ্যা।

ওপৰত দ্বাই-সেনাপতি হৈ শাল্ববীৰ ৰণৰ মুখে উত্ৰাৱল চিতেৰে আগ বাঢ়িল। হয়-হস্তী, ৰথ-ৰথী, নাবিক-পদাতিক-অশ্বাৰোহী অলেখ সৈন্য-সামন্তৰ আস্ফালনেৰে ধৰণী কঁপাই শাল্ববীৰ ৰণ-মণ্ডলত প্ৰৱেশ কৰিলেগৈ।[১] সৌভপতিৰ বিপুল আয়োজন আৰু অদ্ভুত আগমনত দ্বাৰকাবাসী ত্ৰস্তমান হৈ পৰিল। প্ৰজাবৰ্গে ধন-বস্তু মাটিত পুতি লুকুৱাবৰ দিহা কৰিবলৈ ধৰিলে; বৃদ্ধৰাজ উগ্ৰসেনক ৰৈৱতক গিৰিত নিৰাপদে ৰাখি, উদ্ধৱক অন্তঃপুৰে সৈতে ৰাজপুৰী ৰখীয়া পাতি, মহাবীৰ হলধৰে দ্বাৰাৱতী নগৰ চন্তালনৰ ভাৰ লৈ কাৰ্য্যত তৎপৰ হৈ উঠিল। শাল্ব ৰজাই যেতিয়া বহুল আড়ম্বৰেৰে তৰে-পানীয়ে দ্বাৰকা বেৰি ধৰিলেগৈ, তেতিয়া যাদৱ-যোদ্ধাসৱৰ বিতোপন কৌশল অনুযায়ী দ্বাৰকা গতায়াতৰ উপায় ছেদ কৰি দিয়া হল;—দ্বাৰাৱতীলৈ পাৰ হোৱা নৌবাহনাদি সমূলঞ্চে সাম্প্ৰতিক ভাৱে বুৰাই ৰখা হল; নগৰৰ প্ৰৱেশপাশত পানীৰ তলে তলে অলেখ লোৰ কালী-যাঠী, এঘেয়াকৈ পুতি একেবাৰে দুৰ্গম কৰি পেলোৱা গল; বাহিৰৰপৰা বা ভিতৰৰপৰা পানীপথেদি ওলাব-সোমাব পৰাকৈ সাংকেতিক পতাকা ব্যৱহাৰ কৰাৰ দিহাকৰণ চলিল।[২] এই ব্যৱস্থাৰে সৈতে দ্বাৰকাৰ প্ৰতিষ্ঠাতা শ্ৰীকৃষ্ণ-প্ৰৱৰ্ত্তিত কৌশল কাৰ্য্যত লগাই নগৰ ৰক্ষা কৰি লোৱা হল মাথোন। কিন্তু, যাদৱবৰ্গ ৰণত বিমুখ হোৱা বংশৰ লোক নহয়। বিশেষকৈ, শ্ৰীকৃষ্ণৰ আঁতি-গুৰি বৃষ্ণিবংশলৈ তেনেকুৱা কাপুৰুষালি নিতান্ত অশোভন কাৰ্য্য। গতিকে, থলপথে দ্বাৰাৱতীৰ সিংহ-দুৱাৰেদি ৰণলৈ সাজু হৈ, সেই সময়ৰ যাদৱ সৈন্যৰ দ্বাই-সেনাপতি কৃষ্ণসুত ৰুক্মিণীনন্দন স্বয়ং প্ৰদ্যুম্ন কোঁৱৰ মকৰধ্বজ ৰথত চৰি শাল্ব প্ৰতিদ্বন্দ্বীৰে সৈতে সমুখা-সমুখি হলগৈ। ততালিকে সমানে-সমানে দুজন বিচক্ষণীয়া বীৰৰ মাজত তয়াময়া ৰণ লাগি উঠিল। ভালেমান পৰলৈকে কেৱে কাকো হটাব নোৱাৰা হৈ ৰণ চলি থকাৰ পাচত, প্ৰদ্যুম্নৰ শৰবিদ্ধ হৈ শাল্ব নিজৰ ৰথতে মূৰ্চ্ছা গৈ পৰিল, আৰু সৌভ শিবিৰত হাহাকাৰ লাগি উঠিল।[৩] কিন্তু অতি লেকেতীয়া যোদ্ধা শাল্ব বীৰ অলপ পাচতে আকৌ মূৰ তুলি উঠিল; আকৌ দুই বীৰৰ মাজত ঘোৰতৰ ৰণ চলিবলৈ ধৰিলে। আকৌ ভালেমান পৰ তুমুল সংগ্ৰাম চলাৰ পাচত, এইবাৰ শাল্বৰ তীক্ষ্ণ শৰত প্ৰদ্যুম্ন কোঁৱৰ ঘাইল হৈ নিজৰ ৰথতে পৰি মূৰ্চ্ছা গল। সেই অৱস্থাত প্ৰদ্যুম্ন ৰথীৰ সাৰথি দাৰুক-সন্তানে ৰথ ঘূৰাই লৈ উলটি নগৰ সোমালেগৈ। কিন্তু, এক প্ৰহৰ কালৰ ভিতৰতে কৃষ্ণবীৰ্য্যসম্ভূত অদ্ভুত বীৰ প্ৰদ্যুম্ন কোঁৱৰে সংজ্ঞা পাই আকৌ ৰণ-সুৰেৰে গৰজি উঠিল। ৰথ ওলোটাই অনাৰ বাবে তেওঁ নিজৰ সাৰথিক মাৰ্জ্জিত সুৰেৰে ককৰ্থনা কৰিবলৈ ধৰিলে। বিশেষ, সাৰথিৰ সেই কাৰ্য্যে নিষ্কলঙ্ক বৃষ্ণিবংশত কলঙ্কৰ চেকা লগোৱাত কোঁৱৰ অতিকৈ ব্যথিত হল। কিন্তু,

(১) ধৰ্ম্মৰাজ যুধিষ্ঠিৰে সৌভ বা আনৰ্ত্ত দেশত ৰণ লগাৰ কাৰণ সোধাত, বাসুদেৱে চমুকৈ এই বুলি সমিচাৰ দিয়ে, "হে ভৰতশ্ৰেষ্ঠ! মই আপোনাৰ ৰাজসূয়-যজ্ঞ সমাপন-লৈকে খাণ্ডৱপ্ৰস্থত অতিথি থকাৰ ছেগতে, সৌভৰাজ শাল্বই শিশুপাল-বধৰ প্ৰতিশোধ দিবৰ অভিপ্ৰায়ে সিকালে দ্বাৰকা নগৰ আক্ৰমণ কৰিলেগৈ। শাল্বই যদিও জয়লাভ কৰিব পৰা নাছিল, তথাপি সেই ৰণত ভালেমান তৰুণ যাদৱনেতা নিহত হল। তাৰ পাচত, ভীষণ দানৱৰাজ শাল্বই ৰণমদত মত্ত হৈ মোৰ নামে অশেষ গ্লানি কৰি, মোৰ প্ৰত্যাগমনত মোক যুদ্ধলৈ আহ্বান কৰিছিলগৈ। শাল্বই বাৰম্বাৰ এই বুলি হুঙ্কাৰ ছাৰি মোক আনৰ্ত্ত নগৰত অন্বেষণ কৰিছিল যে, সেই সৌভৰাজ শাল্বই হেনো 'কংসকেশি-নিসূদন দুষ্ট মধুসূদনক বিনষ্ট নকৰেমানে নিবৃত্ত নহব'। সেই কথা শুনা মাত্ৰে ময়ো পাঞ্চজন্য শঙ্খনাদৰ দ্বাৰাই আহ্বান কৰি লৈ ৰণত দুৰ্দ্দান্ত দানৱগণক শাল্ব সমন্বিতে নিপাত কৰিলোঁ"।—মহাভাৰত, বনপৰ্ব্ব, ১৪শ আধ্যা।

(২) সেই সময়ত দ্বাৰকাৰ অধিপতি আছিল নৰপতি আহুক। তেওঁ উল্লিখিত বিবিধ দিহাকৰণৰ উপৰি, বানচভোগী বা দৰ্মহাখোৱা সৈন্য-সামন্ত নিয়োজন কৰি দ্বাৰাৱতী নগৰ ৰক্ষা কৰি আছিল। সৈন্যগণক যথানিয়মে বানচ, অস্ত্ৰ-শস্ত্ৰ আৰু পৰিচ্ছদ প্ৰদান কৰি অতি যত্নেৰে আদৰ-সাদৰকৈ পৰিতুষ্ট ৰাখি নগৰ সংৰক্ষণ কাৰ্য্যত নিয়োগ কৰা হৈছিল। সোণৰ মোহৰ আৰু ৰূপৰ মুদ্ৰাৰে সৈতে সৈনিকগণক বানচ দিয়া হৈছিল। কোনো সৈন্যই মন-খুচীকৈ বা বিনা-বানচে সেই কৰ্ত্তব্য গ্ৰহণ নকৰিছিল।—মহাভাৰত, বনপৰ্ব্ব, ১৫ আধ্যা।

(৩) মহাভাৰত, বনপৰ্ব্ব, শাল্ব-বধ পৰ্ব্বাধ্যায়, ১৬ আধ্যা।

কৃষ্ণৰ সাৰথি দাৰুকৰ পুত্ৰ মকৰধ্বজ ৰথৰ সাৰথিয়েও সুৰুচিকৰ যুক্তিযুত শোভনীয় সমিচাৰেৰে নিজ প্ৰভুৰ ককৰ্থনা এই বুলি মুখি থলে, "প্ৰভো! অনৰ্থক অনুতাপৰ প্ৰয়োজন নাই। ৰথী মূৰ্চ্ছা গলে ৰথ বিমুখ কৰাটো সাৰথিৰ ৰীতি; এতেকে, তাত একো দায় নালাগে।" নিজৰ সাৰথিৰ নীতিগৰ্ভ সমিচাৰ শুনি অলপ অপ্ৰস্তুত হৈ প্ৰদ্যুম্ন কোৱঁৰে শ্ৰদ্ধাপূৰ্ণ বচনেৰে সাৰথিক পুনৰপি এই বুলি মিঠা আদেশ শুনাই কলে, "কলঙ্কমুক্ত বোধত সন্তোষ পাইছোঁ। কিন্তু, সি যি হওক, এতিয়াৰপৰা মোৰ ৰণ-ৰথ কদাপি বিমুখ নকৰিবা; মূৰ্চ্ছা যোৱা ভাগেই মৰি যাওঁ, সিও ভাল; তথাপি আধামৰাকৈ বৃষ্ণি-কোৱঁৰক কেতিয়াও ভিতৰ সোমাবলৈ নিদিবা।"[১] তাৰ পাচত, আকৌ তয়াময়া ৰণ চলিবলৈ ধৰিলে। অবিৰাম ৰণ চলিব লাগিছে; কোনো নাহাৰে, কোনো নিজিকে! এনে অৱস্থাত, আৰ্য্যৰণ-ৰীতি[২] অনুসৰি সিমানতে ৰণ সম্প্ৰতি-কলৈ স্থগিত ৰাখি দুই বীৰ দুফালে নিজ নিজ শিবিৰত ক্ষন্তেকৰ অৰ্থে জিৰণি ললেগৈ। কিন্তু, সেই জিৰণিতে ভেজনি দি, শাল্ব ৰজাই অলপ দীঘলীয়াকৈ অৱসৰ লৈ স্বৰাজ্যলৈ প্ৰত্যাগমন কৰিলে। কিয়নো, প্ৰদ্যুম্ন বীৰৰ লগত লৰিবলৈ সৈন্যবল শকত নহলে অৱশিষ্ট সৌভ সেনাৰে সৈতে সৰহপৰ টিকিবলৈ তেওঁ টান পালে। গতিকে, তেওঁ সহযোগী অন্যান্য ৰজাসকলৰপৰা যথাযোগ্য সৈন্যবলৰ সহায় সংগ্ৰহৰ আয়োজন কৰিলেহি।

সিফালে, ইন্দ্ৰপ্ৰস্থত ধৰ্ম্ম-যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞ বহু প্ৰবন্ধেৰে সমাধা কৰাই উঠি, শ্ৰীকৃষ্ণ ঠিক শাল্বই সেই বিৰতি লোৱাৰ ছেগতে দ্বাৰকাপ্ৰান্তত আহি উপস্থিত। বাসুদেৱে একুৰা জুই কোনোমতে মুমাই থৈ আহিয়েই আন একুৰাৰ মুখত পৰিলহি; তেওঁ চিৰশত্ৰু শিশুপালক বধ কৰি উঠিয়েই তদ্ৰূপ তেজী আৰু অভিমানী বীৰ শাল্বৰাজক আগত লবহি লগীয়া হল। শ্ৰীকৃষ্ণদেৱে দ্বাৰকাত প্ৰৱেশ নকৰি বাজে বাজে গৈ সৌভৰাজ্য আক্ৰমণ কৰিলেগৈ। শাল্ব ৰজাই ৰণবল গোটাই লৈ আহি পাইছিলহি মাথোন, এনেতে বাছকবনীয়া সৈন্য-সামন্তৰে সৈতে গৈ মহাযোদ্ধা শ্ৰীকৃষ্ণই আনৰ্ত্ত নগৰ অৱৰুদ্ধ কৰিলেগৈ। শাল্বৰাজে অন্য উপায় নাপাই, সহযোগী ৰজাসকলৰপৰা সৈন্য-সহায় আহি পায়হি মানে নানা কৌশলেৰে ফাঁকি, প্ৰৱঞ্চনা আদি তৰি শত্ৰু-পক্ষক ব্যতিব্যস্ত কৰি ৰখাৰ চেষ্টাত ধৰিলে।[৩] সেই অৱসৰতে প্ৰাগ্‌জ্যোতিষ্‌পুৰৰপৰা এদল বিচক্ষণীয়া কামৰূপীয়া সৈন্যবল গৈ যোগ হোৱাত শাল্বৰাজে নগৰৰ বাজলৈ ওলাই আহি, শ্ৰীকৃষ্ণৰে সৈতে ঘোৰতৰ ৰণত প্ৰবৃত্ত হলহি। সেই ৰণ বহু পৰলৈ টিকিছিল। কামৰূপীয়া বিচক্ষণীয়া সেনাবৰ্গক থলযুদ্ধত লগাই দি, শাল্বই নিজে বিমানৰথত[৪] চৰি ৰণ কৰিছিল। ৰণত শ্ৰীকৃষ্ণতকৈ শাল্বই বেচি চল পাইছিল। গতিকে, কৃষ্ণপক্ষ হাইৰাণ হৈ পৰিছিল। শ্ৰীকৃষ্ণৰ সাৰথি দাৰুক ঠকাসৰকাকৈ তীৰবিদ্ধ হৈ ঠাৱৰিব নোৱাৰা হৈছিল। এনেতে, কৃষ্ণৰ এপাত অব্যৰ্থ তীক্ষ্ণ শৰবিদ্ধ হৈ দুৰ্জ্জয় শত্ৰু শাল্ব ৰণত পৰিল! তাৰ পাচত, সম্প্ৰতিকৰ অৰ্থে নিষ্কণ্টক হৈ, শ্ৰীকৃষ্ণ দ্বাৰাৱতীলৈ প্ৰত্যাগত হল।[৫]

নগৰ সোমাই শ্ৰীকৃষ্ণদেৱে দেখেগৈ যে, ভিতৰত ভালে-মান লণ্ডভণ্ড! দুৱৰী, প্ৰহৰী, কটোৱাল ইত্যাদি সক তৰপৰ ৰাজকৰ্ম্মচাৰীৰ কৰ্ত্তব্যৰ ছেদ নাই; মন্ত্ৰী, বিষয়া, সেনাপতি এই সকলৰ জিৰণি নাই; প্ৰজাৰ মুখত পানী নাই; গৃহস্থাদিৰ নিজ নিজ পৰিয়াল ৰক্ষা কৰাত তৰণি

(১) মহাভাৰত, বনপৰ্ব্ব, শাল্ব-বধ পৰ্ব্বাধ্যায়, ১৭—১৯ আধ্যা।

(২) মহাভাৰত, বনপৰ্ব্ব, শাল্ব-বধ পৰ্ব্বাধ্যায়, ১৯ আধ্যা।

(৩) মহাভাৰত, বনপৰ্ব্ব, শাল্ববধ পৰ্ব্বাধ্যায়, ২২ আধ্যা।

(৪) এয়ে আজিকালিৰ উৰণীয়া জাহাজ বা এৰোপ্লান। বিগত জাৰ্ম্মান-যুদ্ধৰ প্ৰসঙ্গত আবিষ্কৃত হোৱাৰ পাচৰপৰা ইয়াৰ ক্ৰমাৎ বহুল উন্নতি হবলৈ ধৰিছে; আজিকালি মানুহ চৰাইৰ দৰে দেশে-দেশে উৰি ফুৰিব পৰা হৈছে। কিন্তু, পৃথিবীৰ বৰ্ত্তমান বিজ্ঞানৰ এই চূড়ান্ত উন্নতি ভাৰতত কোনোবা-কেতিয়াবাৰেপৰা চলি আহিছিল। কৃষ্ণযুগত শাল্ব আৰু ঘটোৎকচৰ বিমান-যুদ্ধই তাৰ বিশিষ্ট সাক্ষ্য দিয়ে।

(৫) মহাভাৰত, বনপৰ্ব্ব, শাল্ববধ পৰ্ব্বাধ্যায়, ২২ আধ্যা।

নাই ; প্ৰজা, বিষয়া, সৰু-বৰ সকলোৱেই ধন-ৰত্ন, বয়-বস্তু মাটিত পুতি গুহাত গুজি লুকুৱাই শত্ৰুৰ লুটপাত প্ৰতীক্ষা কৰিছে ; মূঠৰ ওপৰত দ্বাৰকা ৰাজ্য ঘোৰ বিপদগ্ৰস্ত! এনে আপদ-অশান্তিৰ মূল উচ্ছেদ কৰি শাল্বনিসূদন মধুসূদনে যেতিয়া তেওঁৰ বিজয়-বাতৰি চৌপাশে ঘোষণা কৰাই দিলে, তেতিয়াহে দ্বাৰকাবাসীয়ে আকৌ নিৰাপদ বোধ কৰিছে। সেই মহাসঙ্কটৰ সময়ত বিশেষ দক্ষতাৰে সৈতে নগৰ চম্ভালি থকাৰ বাবে শ্ৰীকৃষ্ণই অগ্ৰজ বলৰামৰ বল-বীৰ্য্যৰ অশেষ গুণ লৈ, সুযোগ্য বৰপুত্ৰ প্ৰদ্যুম্ন প্ৰমুখ্যে যাদৱ বীৰসকলৰ নথৈ শলাগ লবলৈ ধৰিলে। তাৰ পাচত, বাসুদেৱে লণ্ডভণ্ড নগৰ যথানিয়মে পুনৰ গঢ় লগাই লৈ ৰাজ্যত শান্তি স্থাপনৰ সু-দিহাত ধৰিছে মাথোন, এনেতে ইন্দ্ৰপ্ৰস্থ আৰু হস্তিনাপুৰৰপৰা পাণ্ডৱৰ ভাগ্য পৰিবৰ্ত্তন বিষয়ক বিষম বাতৰি তেওঁৰ ওচৰ পালেগৈ। সেই বাতৰিত পাণ্ডৱ অনুৰাগী যাদৱবৰ্গ অতিকৈ ব্যথিত হৈ, বনবাসলৈ যোৱাৰ আগতে, সিবিলাকক সাক্ষাৎ কৰিবলৈ ব্যস্ত হল; সেই ছেগতে বিপন্ন পাণ্ডৱক এবাৰ দেখা দি তেওঁৰ বিমোহন বুজনিৰে আপদত সহানুভূতি জনাবৰ উদ্দেশ্যে শ্ৰীকৃষ্ণ জ্ঞাতিবৰ্গৰ বনাগমনৰ অনুগামী হল।

দ্বাত্ৰিংশ অধ্যা

পাণ্ডৱৰ বনবাসত শ্ৰীকৃষ্ণ

কৃষ্ণ-আৰাধিকা ধৰ্ম্মপৰায়ণা পাণ্ডৱ-পত্নী কৃষ্ণা-দ্ৰৌপদীৰ কৃষ্ণ-স্তুতিত তন্ময় হৈ অন্ধৰাজ ধৃতৰাষ্ট্ৰই দান দিয়া অনুসৰি পাশাৰ পণত হেৰোৱা নিজৰ আৰু চাৰি-ভায়েকৰ স্বাধীনতা আৰু সমস্ত ঐশ্বৰ্য্য-বিভূতিৰে সৈতে ধৰ্ম্মৰাজ যুধিষ্ঠিৰে স্বৰাজ্য ঘূৰাই পালে। তাৰ পাচত, পিতৃব্য অন্ধৰাজ ধৃতৰাষ্ট্ৰ আৰু তেওঁৰ ধৰ্ম্মনিষ্ঠা পত্নী গান্ধাৰী ৰাণীৰ চৰণত বিদায় গ্ৰহণ কৰি, প্ৰিয়ভাৰ্য্যা দ্ৰৌপদীৰে সৈতে পঞ্চপাণ্ডৱে স্বৰাজ্য ইন্দ্ৰপ্ৰস্থলৈ প্ৰত্যাগমন কৰিলে।

ইফালে পাণ্ডৱ উলটিছে, সিফালে কূট-মন্ত্ৰী শকুনিৰ মন্ত্ৰণামতে দুৰ্ম্মতি দুৰ্য্যোধনে আকৌ অন্ধৰাজৰ মত লুটিয়াবৰ উদ্দেশে তেওঁৰ কাষ চাপিলেগৈ। হতাশ দুৰ্য্যোধনক উন্মাদ কৰি আগবঢ়াই দি, কূট-তৰ্কী শকুনিয়ে নানা ভয়-ভঙ্গীৰ বৰ্ণনাৰে সৈতে হোজা অন্ধৰাজক কূট-বুজনি দিবলৈ ধৰিলে। শেহান্তৰত যেতিয়া ধৃতৰাষ্ট্ৰৰ মনত এই ধাৰণা বহুৱাই দিয়া হল যে, নিজৰ দুৰ্ব্বুদ্ধি আৰু অবিবেচনাৰ কাৰ্য্যৰ ফলস্বৰূপে নিজে যে সৰ্ব্বস্বান্ত হৈ মৰিবই, তেওঁৰ পুত্ৰ-পৰিয়াল আৰু আত্মীয়-কুটুম্বাদিৰ দুৰ্গতিৰ সীমা নাথাকিব। জালত ধৰি বন্দী কৰা সিংহক স্বহাতে মোকলাই দিয়াৰ দৰে, পাশা-জালেৰে বন্দী কৰা পাণ্ডৱ-সিংহক তেওঁ মুক্তি দিয়াত, এতিয়া পাণ্ডৱে উলটি তেওঁৰ সৰ্ব্বনাশ কৰিব। কিয়নো, পঞ্চপাণ্ডৱে, বিশেষকৈ ভীমাৰ্জ্জুনে, অন্তৰত যি সন্তাপ পাই গৈছে, ততোধিক প্ৰিয়-ভাৰ্য্যা দ্ৰৌপদীৰ অপমানত যি দৰে অপমানিত হৈছে, তাক সিবিলাকে কেতিয়াও পাহৰিব নোৱাৰে। তাৰোপৰি, সিবিলাকৰ এই প্ৰমাদৰ বাতৰি পোৱা মাত্ৰকে পাণ্ডৱ বান্ধৱ শ্ৰীকৃষ্ণ আহি ইন্দ্ৰপ্ৰস্থত অনতিপলমে উপস্থিত হবহি। গতিকে, কৃষ্ণবলত বলী হৈ এইবাৰ পাণ্ডৱে কৌৰৱৰ কঠীয়া মাৰি হে এৰিব। সম্প্ৰতি এজন দুৰ্জ্জয় শত্ৰুৰে সৈতে ঘোৰতৰ ৰণত(১) লাগি থকাৰ বাবেহে শ্ৰীকৃষ্ণ নিলগত আছে। শকুনিৰ ভয়ঙ্কৰ বৰ্ণনাত বিচলিত হৈ দুৰ্ব্বলচিতীয়া অন্ধৰাজ ভয়ত কঁপিবলৈ ধৰিলে। তেওঁ কৌৰৱ-বান্ধৱ কু-মন্ত্ৰী শকুনিৰ পৰামৰ্শমতে ততাতৈয়াকৈ এই সিদ্ধান্তত উপস্থিত হল যে, পাণ্ডৱক আদবাটৰপৰা ঘূৰাই মতাই আনি পুনৰপি পাশা-পণত বহিবলৈ বাধ্য কৰোৱা হওক। কণা-ধৃতৰাষ্ট্ৰক দত্তাপহৰণ পাপৰপৰা মুক্ত ৰাখিবৰ অভিপ্ৰায়ে আগবাৰৰ পণ তল পেলাই এইবাৰৰ পণ এই বুলি ধাৰ্য্য কৰা হল যে, পাশাত হাৰিলে পঞ্চ-পাণ্ডৱে বাৰ-

(১) সৌভপতি শাল্ব ৰজাৰ লগত লগা ৰণ। শ্ৰীকৃষ্ণ-দেৱ ইফালে যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞত পৰিলিপ্ত থাকোতেই সিফালে শিশুপালৰ পক্ষীয় ভূপতিবৰ্গেৰে সৈতে লগলাগি শাল্ব ৰজাই কৃষ্ণৰাজ্য দ্বাৰকা আক্ৰমণ কৰিবলৈ আয়োজন কৰিছিল। গতিকে, ইন্দ্ৰপ্ৰস্থৰপৰা গৈয়েই শ্ৰীকৃষ্ণ সেই ৰণত লিপ্ত হয়গৈ।

বছৰ বনবাস খাটিব লাগিব, আৰু ওপৰঞ্চি এবছৰ অজ্ঞাত-বাসত কটাব লাগিব ; যদিস্যাৎ শেহৰ বছৰত সিবিলাকৰ কোনোজন কেনেবাকৈ জনাজাত হয়, তেন্তে পুনৰপি আৰু তেৰ বছৰ পাণ্ডৱে বনবাস খাটিব লগীয়া হব। পণত জয়ী হোৱা জন সেই কালৰ নিমিত্তে পাণ্ডৱৰ ৰাজ্য-সম্পত্তিৰ গৰাকী হব। তাৰ পাচত, কাৰ ৰাজ্য কোনে পায় তাৰ বিচাৰ কৰা যাব। এই অসৎ অভিসন্ধিৰে প্ৰতিকামীক স্বৰিতকৈ পঠিয়াই, বৃদ্ধ ৰজা ধৃতৰাষ্ট্ৰৰ আজ্ঞা অনুসৰি পঞ্চপাণ্ডৱক আদবাটৰপৰা ওলটাই মতাই অনোৱা হয়। তাৰ পাচত, অভিপ্ৰেত পাশাপণত ধৰ্ম্মৰাজ যুধিষ্ঠিৰক পুনৰ্ব্বাৰ নিয়োগ কৰোৱা হয়। পূৰ্ব্বৰত দুৰ্ম্মতি দুৰ্য্যোধনৰ হৈ যাদুকৰ শকুনিৰে সৈতে পাশতীৰ দ্যূতক্ৰীড়া আৰম্ভ হল, আৰু পুনৰপি ধৰ্ম্মৰ পৰাজয় ঘটিল! ধৰ্ম্মিষ্ঠা গান্ধাৰী দেবীৰ অশেষ কাকুতি, মিনতি, প্ৰতিবাদ সকলো অথলে গল।[১]

নিৰ্জ্জ্ব ধৰ্ম্মপ্ৰাণ ধৰ্ম্মৰাজ যুধিষ্ঠিৰে দ্বিৰুক্তি নকৰি বনবাস খাটিবলৈ ততালিকে আগ বাঢ়িলে, ৰাজচক্ৰবৰ্ত্তী মহা-ৰজাৰ অতুলনীয় ৰাজ-পৰিচ্ছদ পৰিত্যাগ কৰি তেওঁ অনতি-পলমে জাকজমকতাশূন্য বৈৰাগীৰ উক। সামান্য সাজ পৰিধান কৰিলে। অগ্ৰজৰ আৰ্হিৰে অনুজ চাৰি-পাণ্ডৱেও নিজ নিজ বিশেষত্ব ৰাখি বনচাৰীৰ বেশ ধাৰণ কৰিলে। সদৌ-শেহত, কৃষ্ণক চিন্তি কৃষ্ণ-আৰাধিকা, পাণ্ডৱ-কূৰৱী কৃষ্ণা দ্ৰৌপদীয়ে ভাৰতৰ সাৰ্ব্বভৌম ভূপতিৰ পত্নী ভাৰতেশ্বৰী পটেশ্বৰীৰ দেৱতাদুৰ্ল্লভ ৰত্নময় বেশভূষা সানন্দে সলাই বনচাৰিণীৰ সামান্য সাজেৰে স্বামীসকলৰ অনুগামিনী হবলৈ আগ বাঢ়িলে।

ধৰ্ম্মাত্মা বিদুৰৰ অনুৰোধত নাবালক পঞ্চপাণ্ডৱনন্দনক বৃদ্ধা পাণ্ডৱজননী কুন্তীদেৱীৰে সৈতে তেওঁৰ আশ্ৰয়তে থৈ[২], দ্ৰৌপদীৰে সৈতে পঞ্চপাণ্ডৱ বনলৈ গল, ইফালে হস্তিনাপুৰৰ হাহাকাৰ ধ্বনি ইন্দ্ৰপ্ৰস্থ পাৰ হৈ দ্বাৰাৱতীত প্ৰতিধ্বনিত হলগৈ। এই দুই ৰাজ্য প্ৰমুখ্যে অন্যান্য ৰাজ্যৰ ৰজা-প্ৰজা যেয়ে যিমানলৈকে শুনিলে, সেয়ে সিমানৰপৰা আহি বনগামী পাণ্ডৱক যেয়ে য'তে লগ পালেহি, সেয়ে ত'তে নিজ নিজ সহবেদনা, সহানুভূতি আৰু মঙ্গলকামনা জ্ঞাপন কৰিলেহি। সেই ছেগতে অৰ্জ্জুনসখি শ্ৰীকৃষ্ণ প্ৰমুখ্যে পাণ্ডৱ-অনুৰাগী যাদৱসকলে দ্বাৰকাৰপৰা মহাবনলৈ যাত্ৰা কৰি সপত্নীক পাণ্ডৱক বনাশ্ৰমত সাক্ষাৎ কৰিলেগৈ। ইতিক্ষণত যাদৱবৰ্গ, পাঞ্চাল জ্ঞাতিবৰ্গ, চেদী দেশাধিপতি ধৃষ্টকেতু, মহাবীৰ্য্য কৈকেয় প্ৰমুখ্যে ধৰ্ম্ম-যুধিষ্ঠিৰৰ কলীয়া অশেষ যাত্ৰীৰ দ্বাৰাই পৰিবেষ্টিত হৈ, ভগবান শ্ৰীকৃষ্ণদেৱে অতি দীনমনেৰে ধৰ্ম্মৰাজ যুধিষ্ঠিৰক এইবুলি প্ৰবোধ দিবলৈ ধৰিলে,—"হে ধৰ্ম্মৰাজ! ধ্ৰুৱপ্ মানিব যে, পৃথিবীয়ে অয়ত্নে দুৰাত্মা দুৰ্য্যোধন, কৰ্ণ, শকুনি আৰু দুঃশাসন এই দুষ্টচাৰিৰ অনতিপলমে তেজ পিব। আমিও এই দুৰ্ম্মতি-গণক সবান্ধৱে নিপাত কৰি আপোনাক পুনৰপি ধৰ্ম্ম-ৰাজ্যত অভিষেক কৰিহে এৰিম। কিনো কম, মহাৰাজ! যি লোক ঘৃণিত লোকৰ অনুগামী হয়, সিও বধ্য,—এয়ে সনাতন ধৰ্ম্ম।"[৩] বিপদবন্ধু মাধৱক সাক্ষাতে পাই,

(১) মহাভাৰত, সভাপৰ্ব্ব, অনুদ্যূত পৰ্ব্বাধ্যায়, ৭৫-৭৬ আধ্যা।

(২) মহাভাৰত, সভাপৰ্ব্ব, অনুদ্যূত পৰ্ব্বাধ্যায়, ৭৮ আধ্যা।

(৩) মহাভাৰত, বনপৰ্ব্ব, অৰ্জ্জুনাভিগমন পৰ্ব্বাধ্যায়, ১২ আধ্যা।—সেই কেই-আষাৰ কথা কওঁতে-কওঁতেই সাগৰ যেন গম্ভীৰ প্ৰকৃতি পৃথিবী যেন শাঁতধৈৰ্য্যতাৰ আধাৰ শ্ৰীকৃষ্ণদেৱ ৰোষপৰবশ হৈ অগ্নিৰত জ্বলি উঠিল। বাসুদেৱৰ সেই মূৰ্ত্তি দেখি আতঙ্কত সমবেত মণ্ডলীৰ চুলি থিয় দিলে। এনেতে, সাময়িক সমস্যা বুজি কৃষ্ণসখি পাণ্ডৱ-কেশৰী অৰ্জ্জুনে থিয় দি এইবুলি স্তুতি-বুজনি দিবলৈ ধৰিলে,—"হে কৃষ্ণ! তুমি যত্ৰ-সায়ং-গৃহ মুনি; তুমি বদৰিকা-শ্ৰমৰ অপৰিমেয় সাধক। হে কেশৱ! তুমি ক্ষেত্ৰজ্ঞ, সৰ্ব্বভূতৰ আদি-অন্ত, তুমি তপোনিধান আৰু নিত্য যজ্ঞ-স্বৰূপ। হে পুৰুষোত্তম! তোমাতেই নাৰায়ণ, হৰি, ব্ৰহ্মা, সোম, সূৰ্য্য, ধৰ্ম্ম, বিধাতা, যম, অনল, অনিল, বৈশ্ৰৱণ, ৰুদ্ৰ, কাল, আকাশ, পৃথিবী, দশদিক্, অজ, চৰাচৰ, গুৰু আৰু স্ৰষ্টাৰ গুণৰাশি বিকশিত। এতেকে, হে যাদৱশ্ৰেষ্ঠ! তোমাত ৰোষপৰবশ ভাৱ শোভা নাপায়!" অৰ্জ্জুনৰ স্তুতি-বুজনিত মতিমান্ শ্ৰীকৃষ্ণ অপ্ৰস্তুত হল। প্ৰত্যুৎপন্নমতি বাসুদেৱে ততালিকে মনোভাৱ সাম কটাই এইবুলি অৰ্জ্জুনক সম্বোধন কৰিলে, "হে পাৰ্থ! তুমি মোৰ,

দ্ৰৌপদীয়েও কৃষ্ণস্তুতিৰ সোঁত দুধাৰি চকু-লোৰেদি বোৱাই এইবুলি বিনাবলৈ ধৰিলে, "হে মধুসূদন! মই পাণ্ডৱৰ সহধৰ্ম্মিণী, দ্ৰুপদৰাজৰ দুহিতা, ধৃষ্টদ্যুম্নৰ সহোদৰা আৰু তোমাৰ কৃষ্ণাসখী হৈয়ো কৌৰৱ ৰাজসভাত যি অৱস্থাত যি ভাৱে লাঞ্ছিত হব লগীয়াত পৰিলোঁ তাক বৰ্ণাবলৈ মোৰ মুখত কথা নোলায়! হে কৃষ্ণ! মই মোৰ মহাবল স্বামীগণক বাধ্য হৈ নিন্দা কৰোঁ যে, সিবিলাকে আগত থাকিও মোৰ অকথন নিৰ্য্যাতনৰ তৰ্পণ নকৰিলে! মহাবল ভীমসেনৰ বাহুবল আৰু মহাৰথ অৰ্জ্জুনৰ গাণ্ডীবৰ ধিক্ যে, মোক সেই তুচ্ছজনৰ দ্বাৰাই অপমানিত দেখিও সহি থাকিল! হে মাধৱ! সনাতন ধৰ্ম্মৰ পূৰ্ব্বাপৰ প্ৰচলিত নীতি অনুসৰি ভৰ্ত্তা ক্ষীণবল হলেও ভাৰ্য্যাক ৰক্ষা কৰিব লাগে। কিয়নো, ভাৰ্য্যা ৰক্ষিতা হলে হে প্ৰজাৰ ৰক্ষা হয়, প্ৰজা ৰক্ষিত হলে হে আত্মাৰ ৰক্ষা হয়; আত্মাই ভাৰ্য্যাৰ গৰ্ভত জন্মপৰিগ্ৰহ কৰে বুলিয়েই ভাৰ্য্যা মানে জায়া হৈছে। হে দৈৱকীনন্দন! যুধিষ্ঠিৰৰপৰা প্ৰতিবিন্ধ্য, ভীমসেনৰপৰা সুতসোম, অৰ্জ্জুনৰপৰা শ্ৰুতকীৰ্ত্তি, নকুলৰপৰা শতানিক আৰু সহদেৱৰপৰা শ্ৰুতকৰ্ম্মা এই পঞ্চপুত্ৰই পঞ্চপতিৰ ঔৰসত মোৰ গৰ্ভত জন্মগ্ৰহণ কৰে; সিহঁত নাবালক নোহোৱা হলে কিজানি কি নকৰিলেহেঁতেন আজি! মোৰ এফেৰি সৌভাগ্য যে, হে হৰি! তোমাক স্মৰণ কৰি সেই নিৰ্য্যাতনৰপৰা নিষ্কৃতি পালোঁ।"[১]

কৃষ্ণা-দ্ৰৌপদীদেৱীক বিস্তৰ সাধু সান্ত্বনা দি উঠি, শ্ৰীকৃষ্ণদেৱে শোকসন্তপ্ত অন্তৰেৰে ধৰ্ম্ম-যুধিষ্ঠিৰৰ ওচৰত এই-বুলি খেদ কৰিবলৈ ধৰিলে,—"হে ভৰতশ্ৰেষ্ঠ! মই সেই সময়ত দ্বাৰকাত উপস্থিত থকা হলে, আপোনাসকল এই মহা আপদত পৰিব লগীয়া নহলহেঁতেন। ৰজা ধৃতৰাষ্ট্ৰ, দুৰ্য্যোধন, নাইবা আন কোনো কৌৰৱপক্ষীয় লোকে মোক আহ্বান নকৰা হলেও, মই উপযাচি গৈ দ্যূতস্থলত উপস্থিত হলোঁগৈহেঁতেন। অন্ততঃ, জ্ঞানী ভীষ্মদেৱ, দ্ৰোণাচাৰ্য্য, কৃপাচাৰ্য্য, বাহ্লীক, বিদুৰ এই সকলেৰে সুমন্ত্ৰণা কৰি দ্যূতৰ অপকাৰিতা সাব্যস্ত কৰাব পাৰিলোঁহেঁতেন। স্ত্ৰী, দ্যূত, মৃগয়া, সুৰাপান এই কামোদ্দীপক ব্যসন চাৰিবিধে যে সৰ্ব্বলোকৰ শ্ৰীভ্ৰষ্ট কৰে, এই নীতিগৰ্ভ কথা স্মৰণ কৰাই দুৰ্ম্মতিগণক দ্যূতৰপৰা ক্ষান্ত ৰখাব পৰা গলহেঁতেন। নাইবা, সিমানতো নোৱাৰিলে, মই নিজ বাহুবলেৰে আপোনাক এই বিপদৰপৰা উদ্ধাৰ কৰিলোঁহেঁতেন। কিন্তু, দুখৰ বিষয়, সেই সময়ত মই আন ৰাজ্যত শাল্বদৈত্যৰে সৈতে ৰণত লিপ্ত হব লগীয়াত পৰিলোঁ। দ্বাৰাৱতীলৈ উলটি গৈ যুযুধানৰ মুখে আদ্যোপান্ত শুনি আপোনাক সাক্ষাৎ কৰিবলৈ উত্ৰাৱল হৈ আহি এই ঠাই পাইছোঁহি।"[২]

ত্ৰয়োত্ৰিংশ আধ্যা

যাদৱ-জ্ঞাতি সংৰক্ষণৰ দিহাকৰণ

শ্ৰীকৃষ্ণৰ জন্মৰেপৰা বিপদ। কৈচুৱাৰেপৰা তেওঁক এটাৰ পাচত আন এটাকৈ আপদে মেৰাই ধৰিবই লাগিছে। যৌৱনত তেওঁ অলেখ অপায়-অমঙ্গলৰ ঢৌ ভাঙ্গি সাঁতো-ৰোতেই গৈছে। তেওঁ অন্যৰ বিপদবন্ধু কাৰণেই তেওঁক বিপদে লগ নেৰে। মুঠৰ ওপৰত, কৃষ্ণ-জীৱন অপায়-অশান্তিৰ সমষ্টি মাথোন।[৩]

নিজ জ্ঞাতি সংৰক্ষণৰ উদ্দেশ্যেই শ্ৰীকৃষ্ণই সাগৰৰ মাজত সোমাই দ্বাৰকা ৰাজ্য স্থাপন কৰে। জ্ঞাতিক নিৰাপদে ৰাখিবৰ অভিপ্ৰায়েই বাসুদেৱে দ্বাৰাৱতী নগৰ নানা সুদিহাকৰণেৰে সুৰক্ষিত কৰে। কিন্তু, পৰোপকাৰী ধৰ্ম্মপ্ৰাণ

মই তোমাৰ; মোৰ অধিকৃত সমস্ত দ্ৰব্যত তোমাৰ অধিকাৰ আছে! মোৰ আন্তৰিক ভাৱৰো তুমি অন্তৰ্য্যামী-ৰূপে অধিকাৰী। তোমাৰ আৰু মোৰ মাজত লেশমানো বিভিন্নতা নাই।" এইবুলি মহাজ্ঞানী মাধৱ ক্ষন্তেক নীৰৱ হল।

(১) মহাভাৰত, বনপৰ্ব্ব, অৰ্জ্জুনাভিগমন পৰ্ব্বাধ্যায়, ১২শ আধ্যা।

(২) মহাভাৰত, বনপৰ্ব্ব, অৰ্জ্জুনাগমন পৰ্ব্বাধ্যায়, ১৩ আধ্যা।

(৩) এই কাৰণেই শ্ৰীকৃষ্ণ আদৰ্শ মনুষ্য; এই গুণতেই বাসুদেৱ মানৱ-মাধৱ; এই হেতুকেই গোপাল-গোবিন্দ মৰ্ত্ত্য-জগতত মূৰ্ত্তিমান্ আহিঁপুৰুষ।

শ্ৰীকৃষ্ণ কোনো ধৰ্ম্মকৰ্ম্মোপলক্ষে আঁতৰ হলেই আন কোনো বলৱন্ত শত্ৰুৱে দ্বাৰকা আক্ৰমণ কৰি যাদৱসকলৰ ওপৰত উপদ্ৰৱ কৰেগৈ। তাৰ ভিতৰত, শ্ৰীকৃষ্ণ কোনো কাৰ্য্যোপলক্ষে কামৰূপৰ ৰাজধানী প্ৰাগ্‌জ্যোতিষ্‌পুৰলৈ আহোঁতে[১], সেই ছেগতে কৃষ্ণশত্ৰু শিশুপালে দ্বাৰাৱতী আক্ৰমণ কৰা, আৰু যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞ সম্পাদনত সহায় কৰি থাকোঁতে ইফালে শিশুপালবন্ধু শাল্বই দ্বাৰকা অৱৰুদ্ধ কৰা এই দুটা ঘটনা প্ৰধান। সেইবাবে শ্ৰীকৃষ্ণই তেওঁৰ জ্ঞাতিবৰ্গৰপৰা বিস্তৰ কৰ্কৰ্থনা আৰু দ্বাৰকাবাসীৰপৰা গঞ্জনা সহিব লগীয়াত পৰিছিল।[২] গতিকে, সেই কৰ্কৰ্থনা আৰু গঞ্জনাৰ হাত সাৰিবৰ উদ্দেশে তেওঁ দ্বাৰাৱতী নগৰ আৰু দ্বাৰকা ৰাজ্য সুৰক্ষণৰ সু-দিহাকৰণত পুনৰপি প্ৰবৃত্ত হল। সেই কৰ্ত্তব্যত তেওঁ একাগ্ৰপতীয়াকৈ লাগি থাকোঁতে বাৰ বছৰীয়া এটি যুগ পাৰ হয়। ইয়াৰ ভিতৰত দ্বাৰকা এৰি শ্ৰীকৃষ্ণ নিলগলৈ যোৱা নাছিল; মাথোন বনবাসত পাণ্ডৱক মাজে-সময়ে বাৰচেৰেক দেখা দিছিলগৈ।[৩]

চতুস্ত্ৰিংশ আধ্যা

দুৰ্ব্বাসাৰ অভিশাপ ওফৰোৱাত শ্ৰীকৃষ্ণ

দ্বাৰকা এৰি বহু নিলগলৈ নাযায় যদিও, কৌতুকী কৃষ্ণই ছেগ চাই ওচৰ-কাষৰীয়া বনবোৰত মাজে মাজে মৃগয়ালৈ যায়। তাৰ মাজত কাম্যকবন শ্ৰীকৃষ্ণৰ অতি মনোৰঞ্জক বিহাৰ-ভূমি আছিল। বহু বন-ভ্ৰমণৰ পাচত, দ্ৰৌপদীৰে সৈতে পঞ্চপাণ্ডৱ কাম্যকবনত আহি থিত্‌ লোৱাৰ সম্বেদ্‌ পাই, শ্ৰীকৃষ্ণ সেই বনলৈ মৃগয়াৰ্থে বাহিৰ হল।[৪] সেই সময়তে, প্ৰভাস-তীৰ্থ-স্নান উদ্দেশে গৈ দুৰ্ব্বাসা মুনিও সশিষ্যে কাম্যকবনত পাণ্ডৱৰ বহাত আলহী হলগৈ। কাম্যক বনস্থিত পাণ্ডৱ-বহাৰপৰা প্ৰভাস-তীৰ্থস্নান-ঘাট নিচেই ওচৰ। সেই কাৰণে, পাণ্ডৱৰ আলহী হৈ, দুৰ্ব্বাসা মুনি সশিষ্যে প্ৰভাসত সন্ধ্যা-আহ্নিকাদি সমাপন কৰি আহিবলৈ গল। গতিকে, স্নানৰপৰা উলটি আহিয়েই যুগুত পোৱাকৈ ইফালে পাণ্ডৱ-বহাত আলহীৰ অৰ্থে ভোজন-শয়নৰ ব্যৱস্থা কৰিব লগীয়া হল। তেতিয়া ৰাতি দহদণ্ড। দুৰ্ব্বাসা আহি উপস্থিত হোৱা অলপৰ আগতে মাথোন বহাত সকলোৰে ভোজন-সমাপনৰ পাচত, অন্নপূৰ্ণা স্বৰূপা কৃষ্ণা-দ্ৰৌপদীৰো আহাৰ হৈ গল। দ্ৰৌপদীৰ আহাৰ শেষ হোৱাৰ লগে-লগেই পাণ্ডৱ-বহাত আহাৰাদিৰ সামৰণি পৰে। এনে অৱস্থাত এতিয়া সমাগত ঋষিৰ আতিথ্য কি উপায়েৰে যুগুত হব, এই চিন্তাত পঞ্চপাণ্ডৱ বিমোৰ হল; দ্ৰৌপদীও বিষম ভাবনাত অস্থিৰ হৈ পৰিল। ইহাতে এই অৱস্থা, আৰু সিহাতে দুৰ্ব্বাসা মুনি সততে অগ্নিশৰ্ম্মা। গতিকে, মহা সমস্যা উপস্থিত! এনে বিপদ-সমস্যাত অপায়হাৰী বিপদবন্ধু কৃষ্ণক স্মৰণ কৰাত বাজে দ্ৰৌপদীৰ অন্য বিশিষ্ট উপায় নাই। কিন্তু, ঈশ্বৰৰ ইচ্ছাত, সেই সময়ত শ্ৰীকৃষ্ণ কাম্যকবনতে বৰ্ত্তমান। তেওঁ মৃগয়ালৈ আহি সেই ৰাতি তীৰ্থস্থানতে জিৰণি লৈছিল। সেই সময়তে স্নানাৰ্থে দুৰ্ব্বাসা মুনিও সশিষ্যে তাত উপস্থিত। তাতে, সেইক্ষণতে, মুনিৰ

---

(১) ওপৰত শিশুপালবধ আধ্যাত বহলাই কোৱা হৈছে। এই যাত্ৰাত শ্ৰীকৃষ্ণদেৱে ধৰ্ম্মৰক্ষাৰ্থে কামৰূপৰ অত্যাচাৰী ৰজা নৰকাসুৰক বধ কৰি শান্তি স্থাপন কৰেহি।

(২) অগ্ৰজ বলৰাম আৰু প্ৰিয়ভাৰ্য্যা ৰুক্মিণীদেৱীয়ে কেইবাটাও প্ৰসঙ্গত দ্বাৰকা এৰি দূৰৈলৈ নাযাবলৈ শ্ৰীকৃষ্ণক অনুৰোধ কৰিছিল। বাসুদেৱৰ অনুপস্থিতিৰ ছেগত শিশুপাল আৰু শাল্বই দ্বাৰকা আক্ৰমণ কৰি যাদৱবৰ্গক বিপদগ্ৰস্ত কৰাৰ বাবে দ্বাৰাৱতীত কৃষ্ণগঞ্জনা উঠিছিল।

(৩) (ক) পাণ্ডৱৰ বনবাস আৰম্ভণত মহাবনত যাদৱবৰ্গ আৰু পাণ্ডৱৰ আত্মীয় কুটুম্বাদিৰে সৈতে লগ লাগি গৈ পাণ্ডৱক সাক্ষাৎ কৰা, (খ) আৰু কাম্যক বনত দুৰ্ব্বাসাৰ অভিশাপ খণ্ডন কৰা এই দুটা ঘটনাই ঘাই।

(৪) মহাভাৰত মতে, অচিন্ত্যগতি ভকতবৎসল বাসুদেৱে দ্ৰুপদনন্দিনীৰ স্তৱত তেওঁৰ বিপদবৃত্তান্ত অৱগত হৈ, পাৰ্শ্ব-শায়িনী ৰুক্মিণীদেৱীক শয্যাতে এৰি তত্তালিকে সেই ৰাতি কাম্যকবনলৈ আগমন কৰিলে।—মহাভাৰত, বনপৰ্ব্ব, দ্ৰৌপদীহৰণ পৰ্ব্বাধ্যায় ২৬২ আধ্যা!

আগমনৰ বিষয়ে সম্ভেদ্ লৈ যেতিয়া জনা গল যে, দুৰ্ব্বাসা সশিষ্যে সেই ৰাতি অসময়ত পাণ্ডৱ-বহাত অতিথি থিতিছেহি, তেতিয়া পাণ্ডৱৰ আগন্তুক অমঙ্গলৰ ভাবনা শ্ৰীকৃষ্ণৰ মনত খেলাবলৈ ধৰিলে। তেওঁ জানে যে, ৰাতি দহদণ্ড পাৰ হলেই দ্ৰৌপদীৰ আহাৰ হয়, আৰু দ্ৰৌপদীৰ আহাৰ হৈ গলেই আহাৰ প্ৰদানৰ সামৰণি পৰে। সেই কাৰণে, পাণ্ডৱ-বান্ধৱ প্ৰত্যুৎপন্নমতি শ্ৰীকৃষ্ণই নিজে অলক্ষিতে থাকি ততালিকে মুনিৰ শুশ্ৰূষাৰ্থে জলপানৰ দিহা কৰি, স্নানৰ পাচত, সন্ধ্যা-পূজাদি হোৱাৰ আগতে গ্ৰহণ কৰালে। জলপানৰ মিষ্টান্নত সম্ভৱতঃ যথাৰতকৈ শিৱপ্ৰসাদ[১] মিলন আছিল। গতিকে, জলপানৰ পাচত, সন্ধ্যা-পূজাৰ ধ্যানত থকা ভাগেই ঋষি-মুনি সকলোটি বিমোহন টোপনিত ঢলি ঢলি পৰিল।

তাৰ পাচত, পাণ্ডৱ-বহালৈ আহি শ্ৰীকৃষ্ণই দেখেহি যে, পঞ্চ-পাণ্ডৱ চিন্তাত বিমোৰ, দ্ৰৌপদী ভাবনাত অস্থিৰ! আসন্ন বিপদৰ সময়ত স্মৰণ কৰা মাত্ৰকে বিপদবন্ধু শ্ৰীকৃষ্ণক আগতে সাক্ষাৎ পাই দ্ৰৌপদী আশ্বাসভৰা প্ৰাণেৰে গদ্‌গদ্ হৈ উঠিল; বিমোৰ পঞ্চ-পাণ্ডৱে যেন সঞ্জীৱনী শক্তি লাভ কৰিলে! অন্তৰ্য্যামী স্বৰূপে শ্ৰীকৃষ্ণই সিবিলাকৰ অন্তৰৰ স্বৰূপ অৱস্থাৰ বিষয়ে আগধৰি জানি লৈছিল। আপদে আহি গ্ৰাস কৰিবলৈ নৌ পাওঁতেই তাক প্ৰভাস স্নানঘাটতে খণ্ডাই থৈ আহি কৌতুকী কৃষ্ণই দ্ৰৌপদী আৰু পঞ্চ-পাণ্ডৱৰ মনত অলপ কৌতূহল লগাবৰ ফন্দী পাতিলে। তেওঁ পোনেই অতিকৈ ক্ষুধাৰ্ত্ত হৈ দ্ৰৌপদীক, যি হয় অলপ আহাৰ খুজিলেগৈ। কিন্তু, অতি দুখৰ কথা, সেই সময়ত বহাত খুদ্-কণ এটিও নাই! বিপন্না দ্ৰৌপদী আৰু বিপন্না হল! তাৰ পাচত পাত্ৰত লাগি থকা অন্নব্যঞ্জন যি অলপ আছিল, তাকে দ্ৰৌপদীৰপৰা খুজি লৈ চেলেকি বাসুদেৱে উগাৰিবলৈ ধৰিলে।[২] দেখি, ইবিলাক আচৰিত হল। তাৰ পাচত, হাঁহি হাঁহি পৰমানন্দ শ্ৰীকৃষ্ণই দ্ৰৌপদী আৰু পঞ্চপাণ্ডৱৰ আগত এই বুলি আনন্দৰ বাতৰি দি জাতৰ হল,—"ভাবিবৰ সকাম নাই, পাণ্ডৱ-বহাৰ অতিথি-মুনি দুৰ্ব্বাসা সশিষ্যে উদৰ-পূৰ্ণ হৈ প্ৰভাসৰ পাৰত পৰি আছে। এই ৰাতিলৈ আৰু সিবিলাক টোপনিৰপৰা উঠাৰ সম্ভাৱনা নাই; এতেকে আতিথ্যৰ ব্যৱস্থা কাইলৈ দিনে-পোহৰে কৰিলেও হব।"

সেই অভাবনীয়ভাৱে দুৰ্ব্বাসাৰ অভিপ্ৰেত অভিশাপ বিনাশত বিস্ময় মানি পাণ্ডৱ-বহাৰ সকলোৱে মনে মনে ভাবি থলে যে, পৰমাত্মাৰ অৱতাৰ কৃষ্ণাত্মাই নামনিমিত্ আহাৰত তৃপ্ত হৈ উগাৰি উঠাত, সকলো মানৱাত্মাৰ উদৰ পূৰ্ণ হল; গতিকে, সশিষ্যে দুৰ্ব্বাসাৰো সেই দশাই মিলিল!

পঞ্চত্ৰিংশ আধ্যা

পাণ্ডৱৰ অজ্ঞাতবাস

অশেষ অসহনীয় ক্লেশ ভুঞ্জি পঞ্চপাণ্ডৱে সহধৰ্ম্মিণী কৃষ্ণা-দ্ৰৌপদীৰে সৈতে টানি-মানি বনবাসত বাৰ বছৰ কাল পূৰ কৰিলে; আৰু এবছৰ অজ্ঞাতবাস মাথোন আছেগৈ। এনেতে, বাৰ বছৰৰ শেহদিনা ধৰ্ম্মৰাজ যুধিষ্ঠিৰে ভীম, অৰ্জ্জুন, নকুল, সহদেৱ আৰু দ্ৰৌপদীক কাষত চপাই লৈ গুপুত আলোচনাত বহিলে, অজ্ঞাতবাসৰ বছৰটো ক'ত কি ভাৱে পাৰ কৰা যায় তাৰ মীমাংসা কৰিবলৈ। যুধিষ্ঠিৰে ভাৰ্য্যা আৰু ভ্ৰাতৃসকলক প্ৰথমে জ্ঞানগৰ্ভ বুজনি দি সুধিলে, কোন দেশত এই অজ্ঞাতবাস বাঞ্ছনীয় হব। তেওঁ সিবিলাকক দঢ়াই দঢ়াই স্মৰণ কৰাই বুজাই কলে যে, পাৰ হৈ যোৱা বাৰ বছৰ সদৌ মিলি যিমান দীঘল, পাৰ হবলৈ বাকী থোৱা এবছৰ ততোধিক দীঘলীয়া। কিয়নো, অজ্ঞাতবাসৰ বছৰটোৰ ভিতৰত কিবা স্বৰূপে সিবিলাক জনাজাত হব লাগিলে, কিম্বা কোনো সূত্ৰে শত্ৰুৱে সিবিলাকৰ পৰিচয় পাব পাৰিলে, সিবিলাকে পুনৰপি বাৰ বছৰলৈ বনবাসী আৰু এবছৰলৈ অজ্ঞাতবাসী হব লাগিব।

---

(১) সিদ্ধি পান? সম্ভৱতঃ সেই ৰাতি 'শিৱৰাত্ৰি'ও হব পাৰে।

(২) মহাভাৰত, বনপৰ্ব্ব, দ্ৰৌপদীহৰণ পৰ্ব্বাধ্যায়, ২৬২ আধ্যা।

এতেকে, এই বিষয়ে সিবিলাকে অতি সাৱধানে গভীৰ গবেষণাৰে সৈতে সজ সিদ্ধান্তত উপস্থিত হব লগাত পৰিছে। অগ্ৰজৰ কথা ধীৰ ভাৱে শুনি লৈ তৃতীয় পাণ্ডৱ অৰ্জ্জুনে এই বুলি মন্তব্য প্ৰকাশ কৰিলে যে, পাঞ্চাল, চেদী, দশাৰ্ণ, মৎস, যুগন্ধৰ, শাল্ব, সুৰাষ্ট্ৰ, কুন্তিৰাষ্ট্ৰ, শূৰসেন, অৱন্তী, মল্ল এইবোৰ পৰম ৰমণীয় দেশৰ ভিতৰত যিখনকে ধৰ্ম্মৰাজৰ মনে ধৰে, সেই দেশতে সিবিলাক আটাইটি অজ্ঞাতবাসী হবগৈ। সেই প্ৰস্তাৱতে বাকী তিনি ভাই আৰু দ্ৰৌপদীও মান্তি হোৱাত, ধৰ্ম্মপ্ৰাণ যুধিষ্ঠিৰে সিদ্ধান্ত দিলে যে, বনবাসৰ ক্লেশৰ পাচত, অজ্ঞাতবাসত জিৰাবৰ অৰ্থে তেওঁ সত্য-ধৰ্ম্ম-শান্ত-শীল ৰজাৰ ৰাজ্য বাঞ্ছা কৰে; সেই দেশ তেওঁৰ মনেৰে মৎস দেশ। মৎস দেশৰ অধীশ্বৰ বিৰাট নৰপতি সত্যপৰায়ণ, ধৰ্ম্মপৰায়ণ, শান্ত প্ৰকৃতিৰ সুশীল ৰজা বুলি ভাৰতবিদিত। গতিকে, কৃষ্ণা-পাঞ্চালীৰে সৈতে পঞ্চপাণ্ডৱ বিৰাট নগৰত এবছৰলৈ অজ্ঞাতবাসী হোৱাটোৱেই স্থিৰ হল।[১]

তাৰ পাচত, পাণ্ডৱ-পুৰোহিত ধৌম্য মুনি প্ৰমুখ্যে পাণ্ডৱৰ লগত ফুৰা আচাৰ্য্য পণ্ডিত আৰু বনচাৰী লগুৱা-লিগিৰী আৰু আন আন পৰিচৰ্য্যাকাৰী সকলোৰে ওচৰত সবিনয়ে আৰু সকাতৰে বিদায় লৈ, কৃষ্ণা-যাজ্ঞসেনীৰে সৈতে পঞ্চপাণ্ডৱ সেই ৰাতিৰ ভিতৰতে নিৰুদ্দেশ হল। লগৰীয়া বনচাৰী পুৰোহিত, মুনি, আচাৰ্য্য, পণ্ডিত, লগুৱা-লিগিৰী, পৰিচৰ্য্যাকাৰী সকলোটি বিষণ্ণচিত্তেৰে দিহাদিহি স্ব-স্বস্থানলৈ প্ৰস্থান কৰিলে।

যথাসময়ত, সেই ৰাতিৰ ভিতৰতে দ্ৰৌপদী আৰু পঞ্চ-পাণ্ডৱে ভিন্-ভিন্ ব্যৱসায়ীৰ ছদ্মবেশেৰে গৈ বিৰাটৰাজৰ পুৰীত প্ৰৱেশ কৰিলেগৈ। পিচদিনা পুৱাতে সিবিলাক ভিন্-ভিন্ ছেগত ভিন্-ভিন্ বেশেৰে বিৰাট ৰজাৰ সমীপত উপস্থিত হৈ ভিন্-ভিন্‌কৈ যথাযোগ্য ব্যৱসায়িক বিষয়-বাবত নিয়োজিত হল;—যেনে, যুধিষ্ঠিৰ কঙ্ক নামে দ্যূতপ্ৰিয় ব্ৰাহ্মণৰূপে বিৰাট ৰাজসভাৰ এজন সদস্য হ'ল; ভীমসেনে বল্লৱ নামে ৰজাৰ চাংমাই-বৰুৱাৰ বিষয়-বাব লাভ কৰিলে; অৰ্জ্জুনে বৃহন্নলা নপুংসক নামে ৰজাৰ অন্তঃপুৰত আইদেও-সকলক গীত, নাচ, বাদ্য শিকোৱা ওজাৰ বাব ললে; নকুলে গ্ৰন্থিক নামে ৰজাৰ অশ্ববৈদ্যৰ বিষয়-বাবত নিযুক্ত হল; সহদেৱে তন্ত্ৰিপাল নামে ৰজাৰ গো-গণ আৰু গো-ধন ৰক্ষক বৰগুৱালৰ বাব ললে, দ্ৰৌপদীয়ে সৈৰিন্ধ্ৰীৰূপে অন্তঃপুৰত বিৰাট-ৰাণী সুদেষ্ণাৰ লিগিৰী চলোৱা বিষয়ানীৰ বাব লাভ কৰিলে।[২]

এই অনুক্ৰমে ভাৰতৰ ৰাজচক্ৰবৰ্ত্তী মহাৰজা ধৰ্ম্ম-যুধিষ্ঠিৰ তেওঁৰ অনুগত ৰজাৰ অনুচৰ হৈ, বহুভোজনীয়া বৃকোদৰ ভীমসেন ৰান্ধনীশালৰ অধ্যক্ষ হৈ, শ্ৰীকৃষ্ণৰ প্ৰাণসখি তেওঁৰ সমতুল্য পৰাক্ৰমী মদনমোহন অৰ্জ্জুন অন্তঃপুৰত আইদেও-সকলৰ নাচনিয়াৰ ওজা হৈ, দুৰ্দ্দম অশ্বক বশ লগোৱা নকুলদেৱ অশ্ববৈদ্য হৈ, গোপাল সদৃশ্ সহদেৱ বৰ-গৰখীয়া হৈ, ৰাজচক্ৰবৰ্ত্তী মহাৰজাৰ পটেশ্বৰী সহস্ৰলিগিৰীসেৱিতা যাজ্ঞসেনী কৃষ্ণা-দ্ৰৌপদী তেওঁৰ শৰণীয়া ৰাণীৰ বৰ-লিগিৰী হৈ, বিৰাট ৰাজভৱনত অসাধাৰণ ধৈৰ্য্যতাৰে সৈতে অজ্ঞাত-বাসৰ বছৰটোও নিৰ্ব্বিবাদে-নিৰুদ্দেশে, সেই ছয় প্ৰাণীত বাজে আন কেৱে আকাৰে-ইঙ্গিতেও চিনিব নোৱাৰাকৈ, আন কি, দ্ৰৌপদীৰ আৰাধ্য দেৱতা পাণ্ডৱৰ দিব্য অন্তৰ্য্যামী বান্ধৱ শ্ৰীকৃষ্ণয়ো সম্ভেদ্ নোপোৱাকৈ পাণ্ডৱৰ পণনিৰ্দ্দিষ্ট অজ্ঞাতবাসৰ এবছৰ কাল সিবিলাকে পূৰ্ণ কৰিলে।[৩]

ষড়ত্ৰিংশ আধ্যা

প্ৰথম ছেদ

উত্তৰা-অভিমন্যুৰ শুভ-পৰিণয়

অজ্ঞাতবাসৰ বছৰ পূৰ্ণ হোৱাৰপৰা তৃতীয় দিনাৰ পাচত ধৰ্ম্মৰাজ যুধিষ্ঠিৰে বিৰাটৰাজৰ আগত আত্ম-চিনাকি দি সকলো বৃত্তান্ত ভাঙ্গি কলে। শুনা মাত্ৰে বিস্ময়বিহ্বল

(১) মহাভাৰত, বিৰাটপৰ্ব্ব, পাণ্ডৱপ্ৰৱেশ পৰ্ব্বাধ্যায়, ১ম আধ্যা।

(২) মহাভাৰত, বিৰাটপৰ্ব্ব, পাণ্ডৱপ্ৰৱেশ পৰ্ব্বাধ্যায়, ২—৩ আধ্যা।

(৩) মহাভাৰত, বিৰাটপৰ্ব্ব, গোহৰণ পৰ্ব্বাধ্যায়, ৬৭ আধ্যা।

হৈ বিৰাট ৰজাই আনন্দৰ চকুলো টুকি পঞ্চ-পাণ্ডৱ আৰু সিবিলাকৰ প্ৰিয়তমা পত্নী দ্ৰৌপদীদেবীক সাদৰসম্ভ্ৰমেৰে আৰু অতি বিনীতভাৱে যথাযোগ্য সাজ-পাৰ কৰিবলৈ অনুৰোধ কৰিলে। তাৰ পাচত, তেওঁ বিৰাট ৰাজ-সিংহাসনত ধৰ্ম্মৰাজ যুধিষ্ঠিৰক বহি-ৰজা পাতি, নিজে উঠি-ৰজাৰ বাব গ্ৰহণ কৰিলে, আৰু সেই সিদ্ধান্তকাৰ্য্যৰ বিষয় ৰাজ্যৰ চৌপাশে যথাবিধি ঘোষণা কৰাই দিলে। সেই দিনধৰি মৎসদেশৰ বিৰাট ৰাজ্যত মহাৰাজ যুধিষ্ঠিৰ বহি-ৰজা আৰু ধৰ্ম্মপ্ৰাণ বিৰাট ৰজা নিজে উঠি-ৰজা হল। সেই অনুসৰি, দ্ৰৌপদী আৰু ভীম, অৰ্জ্জুন, নকুল, সহদেৱেও পূৰ্ব্বৰ পাণ্ডৱী বেশেৰে স্ব-স্ব-বাব ধাৰণ কৰি হৃষ্টচিত্তেৰে কালযাপন কৰিবলৈ ধৰিলে।[১]

সেই নৰোল্লাহত উলাহিত হৈ, সেই ছেগতে বিৰাট-ৰাজে মহাৰাজ যুধিষ্ঠিৰৰ ওচৰলৈ এটি সাধু প্ৰস্তাৱ আগ বঢ়ালে। সেই প্ৰস্তাৱত তেওঁৰ অনুৰোধ এই হল যে, পাণ্ডৱৰাজে কৃপা কৰি যেনেকৈ তেওঁৰ ৰাজ-সিংহাসনদান গ্ৰহণ কৰি তেওঁক অনুগৃহীত কৰিলে, তেনেকৈয়ে যেন দয়া কৰি তেওঁৰপৰা কন্যাদান এটিও গ্ৰহণ কৰি কৃতজ্ঞতা পাশেৰে তেওঁক চিৰকাললৈ আৱদ্ধ ৰাখে[২]। ধৰ্ম্ম-যুধিষ্ঠিৰে ততালিকে সমিচাৰ দিলে যে, সেইটো মাথোন কৃতজ্ঞতাৰ প্ৰতিদান হে হব, কিয়নো যাৰ ওচৰত প্ৰথম দান গ্ৰহণ কৰি পাণ্ডৱসকল কৃতজ্ঞতা পাশত বন্ধা আছিল, তেওঁৰ যাচিত দ্বিতীয় দান গ্ৰহণ কৰি তেওঁক সুখী কৰিব পাৰিলে স্বল্পাৰ্থত কৃতজ্ঞতাৰ প্ৰতিদান দিয়া হব মাথোন! গতিকে, তেওঁৰ দ্বিতীয় দান অতি আগ্ৰহেৰে গ্ৰহণ কৰা হল। সেই অনুসৰি, বিৰাট ৰাজৰ অতি আদৰৰ পৰম ৰূপৱতী আৰু গুণৱতী কন্যা উত্তৰা আইদেওৰে সৈতে ধৰ্ম্মৰাজ ধৰ্ম্ম-যুধিষ্ঠিৰৰ অতি চেনেহৰ ভতিজা বীৰকেশৰী অৰ্জ্জুনৰ সুযোগ্য পুত্ৰ, শ্ৰীকৃষ্ণৰ চেনেহী ভনীয়েক সুভদ্ৰা দেবীৰ একেটি সন্তান অভিমন্যু কোৱঁৰৰ শুভ-পৰিণয় স্থিৰ কৰা হয়[৩]। সেই পৰিণয় উৎসৱলৈ পাণ্ডৱৰ ইষ্ট-কুটুম্ব, বন্ধু-বান্ধৱ মিত্ৰৰাজ সকলোকে সাদৰে নিমন্ত্ৰণ কৰা হল। যথাসময়ত ৰাম-কৃষ্ণ আৰু ৰুক্মিণীনন্দন প্ৰদ্যুম্ন প্ৰমুখ্যে যাদৱসকল, বৃদ্ধৰাজ দ্ৰুপদ, মহাবীৰ ধৃষ্টদ্যুম্ন প্ৰমুখ্যে পাঞ্চালবৰ্গ আৰু অন্যান্য আহূত ৰজা-মহাৰজাসকল অগা-পিচাকৈ সেই পৰিণয়োৎসৱ উপলক্ষে আহি বিৰাট নগৰত উপনীত হলহি।

দ্বিতীয় ছেদ

পাণ্ডৱক ৰাজ্যাৰ্দ্ধ প্ৰত্যৰ্পণ কৰা প্ৰস্তাৱ

উত্তৰা-অভিমন্যুৰ শুভপৰিণয় সম্পাদনৰ পাচত, সেই উৎসৱত যোগ দিবলৈ অহা ৰাজন্যবৰ্গে বিদায় লোৱাৰ আগতে, এদিন বিৰাট ৰাজসভাত সকলোটি সমবেত হয়। বিৰাটৰ বহি-ৰজা ধৰ্ম্ম-যুধিষ্ঠিৰৰ বাওঁহাতে নকুল, ভীম আৰু পাৰ্থ, সোঁহাতে সহদেৱ, দ্ৰুপদ, ধৃষ্টদ্যুম্ন আৰু সমুখত ৰাম-কৃষ্ণ প্ৰমুখ্যে যাদৱবৰ্গৰে সৈতে পৰিবেষ্টিত হৈ বিৰাট ৰাজ-সিংহাসনত উপবিষ্ট। সেই ছেগতে, কথা-প্ৰসঙ্গত পাঞ্চালৰ অধিপতি বৃদ্ধৰাজ দ্ৰুপদে এইবুলি এটা অতি লাগতিয়াল আলোচ্য বিষয় আগ বঢ়ালে, "হে সমবেত

---

(১) মহাভাৰত, বিৰাটপৰ্ব্ব, বৈবাহিক পৰ্ব্বাধ্যায়, ৭০ আধ্যা।

(২) মহাভাৰত, বিৰাটপৰ্ব্ব, বৈবাহিক পৰ্ব্বাধ্যায়, ৭১ আধ্যা।

(৩) নিজপুত্ৰ যুৱৰাজ উত্তৰৰ মুখে মহাধনুৰ্দ্ধৰ তৃতীয় পাণ্ডৱ অৰ্জ্জুনৰ গুণাৱলী শ্ৰৱণ কৰি তেওঁলৈকে বিৰাটৰাজে তেওঁৰ অতি চেনেহৰ জীয়াৰী উত্তৰৰ অনুজা পৰম ৰূপৱতী উত্তৰা আইদেওক বিয়া দিবলৈ প্ৰস্তাৱ কৰে। কিন্তু, অৰ্জ্জুনে তাত অস্বীকাৰ কৰিলে; কিয়নো তেওঁ অন্তঃপুৰত এবছৰকাল পিতৃস্বৰূপে সেই কন্যাৰ প্ৰতি আচৰণ কৰিছিল। গতিকে, অগত্যা সেই দান গ্ৰহণ কৰিবলগীয়া হলে, তেওঁ উত্তৰাক বোৱাৰী ৰূপেহে গ্ৰহণ কৰিব পাৰে বুলি সমিধান দিলে। সেই অনুযায়ী বাসুদেৱৰ প্ৰিয়তম ভাগিন, সুভদ্ৰানন্দন মহাতেজী পিতৃসম ধনুৰ্বিদ্ মহাবীৰ অভিমন্যুৰ লগত অনুপমা ৰূপৱতী আৰু গুণৱতী বিৰাট-ৰাজ কন্যা উত্তৰাৰ শুভপৰিণয় স্থিৰ হয়।—মহাভাৰত, বিৰাটপৰ্ব্ব, বৈবাহিক পৰ্ব্বাধ্যায়, ৭২ আধ্যা।

সুপুৰুষসকল! আপোনালোকৰ বিদিত আছে, কেনেকৈ শকুনিৰ কু-চক্ৰৰ কেৱত পাশা-খেলৰ পণত ঘটুৱাই অধৰ্ম্মী দুৰ্য্যোধনে ৰাজচক্ৰবৰ্ত্তী মহাৰজা ধৰ্ম্ম-যুধিষ্ঠিৰৰ ধন-ৰত্ন, ৰাজ্য-সম্পদ যথাসৰ্ব্বস্ব অপহৰণ কৰি পটেশ্বৰী দ্ৰৌপদীৰে সৈতে পঞ্চপাণ্ডৱক বাৰ বছৰ বনবাস আৰু এবছৰ অজ্ঞাত-বাস খটালে। যি হওক, এতিয়া পাণ্ডৱৰ সেই দুৰ্দ্দশাৰ কাল অন্ত পৰিছে, আৰু সেই পাশা-পণ অনুযায়ী এতিয়া পাণ্ডৱে স্বৰাজ্য ঘূৰাই পাব লাগে। এতেকে, আপোনা-সকলে এই বিষয়ে সুবিবেচনা কৰি এটা সৎ-পৰামৰ্শ দিয়ক। মোৰ মনেৰে, পাপ-মতি দুৰ্য্যোধনে যে সহজে পাণ্ডৱক ৰাজ্য এৰি দিব তাৰ সম্ভাৱনা নাই, যদি সেয়ে সঁচা হয়গৈ, তেন্তে আমি মধ্যস্থ ৰাজক্ষমতাই ধৰ্ম্মযুদ্ধ পাতি পাণ্ডৱক স্বৰাজ্য উদ্ধাৰ কৰি দিয়াটো একান্ত বাঞ্ছনীয়। এতেকে, আহক, আমি যুদ্ধত প্ৰবৃত্ত হবলৈ সচেষ্ট হওঁহক।"

শ্ৰীকৃষ্ণদেৱে ততালিকে দ্ৰুপদ ৰজাৰ প্ৰস্তাৱত এই বুলি অভিমত প্ৰকাশ কৰিলে, "পণ পালনৰ পাচত, তাৰ হেতুবন্ধন অনুযায়ী এতিয়া পাণ্ডৱে যে স্বৰাজ্য ঘূৰাই পাব লাগে সেইটো ধ্ৰুপ্, কিন্তু তাকে সংপ্ৰীতিৰে উদ্ধাৰ কৰিবলৈ ব্যৱস্থা দিয়াটোহে বাঞ্ছনীয়; আৰু দেশাচাৰ আৰু ৰাজনীতি অনুসাৰে প্ৰথমে ধাৰ্ম্মিক কুলীন প্ৰমাদ-শূন্য পুৰুষক কটকী পাচি কৌৰৱৰ লগত সংপ্ৰীতিৰে সৈতে সন্ধিসংস্থাপনৰ দিহা কৰা যাওক। মোৰ বোধেৰে দুৰ্য্যোধনে যদি পাণ্ডৱক অৰ্দ্ধৰাজ্যও ঘূৰাই দিবলৈ মান্তি হয়, তেনেহলেও সি গ্ৰহণীয়, কিয়নো, মোৰ দৃঢ় বিশ্বাস যে, ধৰ্ম্ম-যুধিষ্ঠিৰে অশান্তিজনক স্বৰ্গৰাজ্য লাভলৈকো হাবিয়াস নকৰে, কিন্তু সংপ্ৰীতিমূলক এখন সামান্য গাওঁৰ গৰাকী হবলৈকো বাঞ্ছা কৰিব। গতিকে, সেই উদ্দেশে আগধৰি হস্তিনাপুৰলৈ কটকী পঠিওৱা হওক; যদি হে নিতান্তই বিনাৰণে কাৰ্য্যসিদ্ধি নহয়গৈ, তেন্তে তেতিয়া যি হয় অৱশ্যে এটা যুগুত ব্যৱস্থা কৰা যাব। পাৰ্য্যমানে ৰক্তপাত নোহোৱাকৈ কাৰ্য্য সাধিবলৈ চোৱাটো হে বাঞ্ছনীয়।"[1]

বাসুদেৱৰ সেই উক্তি শুনি অগ্ৰজ বলৰামে এইবুলি উত্তৰ কাটিলে, "বাৰু, ধৃতৰাষ্ট্ৰৰ পুত্ৰগণে যদি সংপ্ৰীতিৰে পাণ্ডৱক অৰ্দ্ধৰাজ্যও এৰি দিয়ে, তেনেহলেও মই গ্ৰাহ্য বিবেচনা কৰোঁ। কিন্তু, দুৰ্য্যোধন যে তাত মান্তি হব, সেইটো মোৰ বিশ্বাস নহয়। তথাপি, উভয়কুলৰ শান্তি-ৰক্ষাৰ্থে এজন বাগ্মী পুৰুষ[১] কটকী পঠিয়াই সন্নিধানলৈ অপেক্ষা কৰা যাওক।"

বলৰামৰ অভিমত শুনি বৃষ্ণিকোৱঁৰ মহাবীৰ সাত্যকি এইবুলি গৰ্জ্জি উঠিল,—"যি কৌৰৱে অন্যায় কৌশলেৰে পাণ্ডৱৰ ৰাজ্য কাঢ়ি লনে, সেই কৌৰৱৰপৰা ন্যায়-ব্যৱস্থা আশা কৰাটো বিডম্বনা মাথোন। আৰু, পাণ্ডৱেই বা কিয় আগধৰি শৰণাপন্ন হব; পণমতে কৌৰৱে এতিয়া উপযাচি পাণ্ডৱক সিবিলাকৰ ৰাজ্য সম্পূৰ্ণে প্ৰত্যাৰ্পণ কৰা উচিত। এতেকে কটকী লগোৱাৰ প্ৰয়োজন নাই; বলাঁহক, আমি খনতিপলমে কৌৰৱৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰোঁ।"[2]

সাত্যকিক সৰ্ব্বতোভাৱে সমৰ্থন কৰি মহাবাহু ভীমসেন এইবুলি উত্ৰাৱল হৈ উঠিল,—"আমাৰ ধৰ্ম্মভীৰু অগ্ৰজ-ৰাজৰ অনুজ্ঞা পেলাব নোৱাৰি আমি কৌৰৱক অতি-পাতকৈ লাই দিছোঁহক। কিন্তু, আৰু সহ্য নহয়, সংপ্ৰীতিৰ কোনো প্ৰয়োজন নাই, মই আজিয়েই সসৈন্যে যাত্ৰা কৰি কৌৰৱক সবংশে নিৰ্ম্মূল কৰি আহোঁগৈ।"

কৃষ্ণসম সুচিন্তক বীৰকেশৰী অৰ্জ্জুনেও ৰণ-ব্যৱস্থাৰ ফলীয়া হৈ ধীৰভাৱে এইবুলি আত্ম-অভিমত ব্যক্ত কৰিলে, "মোৰ মনেৰেও ৰণযাত্ৰা কৰাই বাঞ্ছনীয়। অগ্ৰজ ভীমসেন আৰু সখি শ্ৰীকৃষ্ণৰে সৈতে ততালিকে গৈ আমি দুৰ্য্যোধনক সবান্ধৱে বান্ধি আনি ধৰ্ম্মৰাজৰ চৰণত অৰ্পণ কৰিবহি পাৰোঁ, আজ্ঞা মাথোঁ লাগে।"

---

(১) মহাভাৰত, উদ্যোগপৰ্ব্ব, সেনোদ্যোগপৰ্ব্বাধ্যায়, ২য় আধ্যা।

(২) মহাভাৰত, উদ্যোগপৰ্ব্ব, সেনোদ্যোগপৰ্ব্বাধ্যায়, ২য় আধ্যা।

পাঞ্চালৰাজ দ্রুপদ প্রমুখ্যে সমবেত ৰজা-মহাৰজা সকলো একবাক্যে ৰণপ্রত্যাশী হৈ উঠিল।[১] গতিকে, আলোচনাৰ আধ্যা পেলোৱাৰ অভিপ্রায়ে শ্রীকৃষ্ণদেৱে পুনৰপি এইবুলি সিদ্ধান্ত মত ব্যথিতভাৱে ব্যক্ত কৰিলে, —"আমি পাণ্ডৱৰো এদনীয়া বন্ধু নহওঁ, কৌৰৱৰো চিৰদিনীয়া শত্রু নহওঁ; আমাৰ মানত কৌৰৱ আৰু পাণ্ডৱ দুয়ো সমান। আমি আহিছিলোঁ, পৰিণয়-উৎসৱৰ নিমন্ত্রণ ৰক্ষা কৰিবলৈ; এতিয়া সেই উৎসৱৰ সমাপ্তিত আমি ঘৰাঘৰি যাওঁগৈহঁক। যদিহে ধৃতৰাষ্ট্রৰ পুত্রগণে নিতান্তই শান্তি-প্রস্তাৱ গ্রহণ নকৰে, তেন্তে ৰণ আয়োজনলৈ অন্যান্য সকলোকে আহ্বান কৰাৰ পাচত, আমাকো আহ্বান কৰা হয় যেন।"[২] এই সিদ্ধান্ত দি বাসুদেৱে ধর্ম্মৰাজ যুধিষ্ঠিৰ প্রমুখ্যে সকলোৰে ওচৰত বিদায় লৈ যাদৱসকলৰে সৈতে স্বৰাজ্যলৈ ওলটা যাত্রা কৰিলে।

শ্রীকৃষ্ণই বিদায় লোৱাৰ পাচতে, পৰিণয় উপলক্ষে আহূত ৰজাসকলেও এজন-দুজনকৈ বিদায় ললে। সদৌশেহলৈ ৰলগৈ পাঞ্চালপতি দ্রুপদ ৰজা। তেওঁ জোঁৱায়েকগণ পঞ্চ-পাণ্ডৱৰে সৈতে পৰামর্শ কৰি, এহাতে পুৰোহিত ধৌম্য মুনিক হস্তিনাপুৰলৈ বাসুদেৱৰ উপদেশ অনুসৰি কটকী পঠিয়ালে,[৩] আনহাতে ৰণ-আয়োজনৰ অর্থে নানাফালে আগৰ চক্রবর্ত্তী ৰজা যুধিষ্ঠিৰৰ শৰণীয়া আৰু মিত্ৰৰাজসকলৰ ওচৰলৈ দূত পঠিয়ালে। কিয়নো, সকলোৰে বিশ্বাস যে, বিনাৰণে দুর্য্যোধনে এপদ ভূমিও এৰি নিদিয়ে।

যথাসময়ত ধৌম্য মুনি হস্তিনাপুৰলৈ গৈ কৌৰৱ ৰাজ-সভাত উপস্থিত হলগৈ। তেওঁ তাত যথাবিধি কটকীৰ কর্ত্তব্য আৰম্ভ কৰিলেগৈ। কৌৰৱপক্ষীয় ৰাজপুৰুষসকলক সকলো কথা ভাঙ্গি কৈ তেওঁ বিৰাট-ৰাজফালৰ শেষ-সিদ্ধান্ত মুকলিকৈ বুজাই কলে যে, কৌৰৱপক্ষে পাণ্ডৱক অন্ততঃ অর্দ্ধেক ৰাজ্যও যদি সংপ্রীতিৰে ঘূৰাই নিদিয়ে, তেন্তে তাৰ অপৰিহার্য্য ফল হব কুৰু-পাণ্ডৱৰ মাজত এখন অবাঞ্ছনীয় মহাযুদ্ধ। তাৰ অর্থে সিফালে পাঞ্চালপতি দ্রুপদ প্রমুখ্যে ভালেমান ভূপতিয়ে ৰণসজ্জা কৰিবলৈকো বাকী থোৱা নাই। মাথোন, ভগবান শ্রীকৃষ্ণ ৰক্তপাতৰ বিৰোধী, আৰু সংপ্রীতিৰে সন্ধি-বন্ধন লাভ কৰিব পৰাৰ স্থলত অনর্থক ৰণ-বিগ্রহ পাতি ভাৰতময় উৎপাত লগোৱাৰ সকাম নাই বুলি তেওঁ অভিমত প্রকাশ কৰা হেতুকে হে কটকী পঠিওৱা হৈছে। ইয়াকে চাই কৌৰৱে যেনে সজ বিবেচনা কৰে তেনে কৰক, কিন্তু তেওঁৰ নিজামত মতেও অসাধাৰণ ৰাজনৈতিক আদর্শ পুৰুষ শ্রীকৃষ্ণৰ সাৰুৱা উপদেশ শিৰোধার্য্য কৰি, পাণ্ডৱক সিবিলাকৰ অর্দ্ধেক ৰাজ্য এৰি দি, শান্তিৰক্ষা কৰাটোহে সর্ব্বতোভাৱে বাঞ্ছনীয়।

সেই কথাত হোজা ধাতুৰ ধৃতৰাষ্ট্র ততালিকে মান্তি হল। ভীষ্ম, বিদুৰ, দ্রোণ প্রভৃতি ধর্ম্মভীৰু সভাসদসকলেও শ্রীকৃষ্ণৰ সিদ্ধান্ত সাদৰে সমর্থন কৰিলে। কিন্তু, কর্ণ-শকুনি-সংযোগ দুর্য্যোধন-দুঃশাসন দুর্ম্মতিগণ তাত মান্তি নহল। "বিনাৰণে বেজীৰ আগ পৰিমাণ ভূমিও এৰি নিদিওঁ" বুলি, উচাৎ মাৰি অভিমানী দুর্য্যোধন উঠি গুচি গল। ধৌম্য মুনি বিফলমনোৰথ হৈ বিৰাট ৰাজালৈ উলটি আহিল।

সপ্তত্রিংশ আধ্যা

শ্রীকৃষ্ণক সাৰথি-বৰণ

শ্রীকৃষ্ণৰ প্রথম উপদেশ অনুসৰি আগ বঢ়োৱা সন্ধিৰ প্রস্তাৱ অগ্রাহ্য হল। পাণ্ডৱৰ কটকী ধৌম্য মুনি হস্তিনাপুৰলৈ গৈ বিফলমনোৰথ হৈ উলটি আহিলগৈ। ইন্দ্রপ্রস্থৰ উঠি-ৰজা দুর্য্যোধনে বেজীৰ আগ পৰিমাণ ভূমিও

(১) মহাভাৰত, উদ্যোগপর্ব্ব, সেনোদ্যোগপর্ব্বাধ্যায়, ৩য় আধ্যা।

(২) মহাভাৰত, উদ্যোগপর্ব্ব, সেনোদ্যোপর্ব্বাধ্যায়, ৪র্থ আধ্যা।

(৩) মহাভাৰত, উদ্যোগপর্ব্ব, সেনোদ্যোগপর্ব্বাধ্যায়, ৫ম আধ্যা।

প্ৰত্যৰ্পণ কৰিবলৈ সন্মত নহল। তাৰ বাবে তেওঁ যুদ্ধ দিবলৈ সাজু। গতিকে, কুৰু-পাণ্ডৱৰ যুদ্ধ অপৰিহাৰ্য্য হৈ উঠিল।

শ্ৰীকৃষ্ণৰ দ্বিতীয় উপদেশ অনুযায়ী অপৰিহাৰ্য্য যুদ্ধৰ আয়োজনত পাঞ্চালৰ বৃদ্ধৰাজ দ্ৰুপদ আৰু যুৱৰাজ ধৃষ্টদ্যুম্ন কাছিপাৰি লাগি গল। সিবিলাকৰ লগতে ভাৰতৰ ন্যায়পন্থীয়া ৰজাসকলেও সবলভাৱে যোগ দিলে। সেই সন্মিলিত সহায়ৰ বল পাই পঞ্চপাণ্ডৱ, বিশেষকৈ ভীমাৰ্জ্জুন চালি ধৰি উঠিল। দূত আৰু কটকীৰ যোগে ভাৰতৰ নানা দিশৰ পাণ্ডৱৰ মিত্ৰ ৰজাসকলক ৰণলৈ আহ্বান কৰি যথাযোগ্যৰূপে সষ্টম হবলৈ অনুৰোধ কৰা হল। কুৰু-পাণ্ডৱৰ ৰণ-ঘোষণা কৰি, যি যি ৰাজ্যলৈ সহযোগিতা বিচাৰি দূত আৰু কটকী পঠিওৱা গৈছিল, সেই সদৌ ৰাজ্যৰপৰা পাণ্ডৱপক্ষলৈ সহযোগৰ প্ৰতিশ্ৰুতি আহি পৰিল। পাণ্ডৱৰ আয়োজন প্ৰায় সম্পূৰ্ণ হল।

শ্ৰীকৃষ্ণৰ তৃতীয় উপদেশ আছিল, অপৰ সকলোৰেপৰা সহযোগিতা সংগৃহীত হোৱাৰ পাচত যাদৱসকললৈ ৰণ-নিমন্ত্ৰণ পঠিয়াবলৈ। সেই উদ্দেশে দ্বাৰকালৈ দূত প্ৰেৰণ কৰিবলৈ যো-জা কৰা হল; আৰু সৰ্ব্বসন্মতি মতে কৃষ্ণসখি অৰ্জ্জুনক সেই দূতৰ বাব দিয়া হয়। যথাসময়ত শহুৰ-ৰাজ দ্ৰুপদ আৰু অগ্ৰজ-ৰাজ যুধিষ্ঠিৰৰ আদেশ-উপদেশ শিৰোধাৰ্য্য কৰি সুযোগ্য পাণ্ডৱ-কটকী অৰ্জ্জুনে শুদ্ধচিতেৰে দ্বাৰকালৈ যাত্ৰা কৰিলে।

ইফালে কৌৰৱ পক্ষও নিশ্চিন্ত হৈ বহি থকা নাই। ধৌম্য মুনিক সমিধান দিয়াৰ পাচৰপৰা প্ৰকাশ্যে ৰণ-আয়োজন চলিবলৈ ধৰিলে। ইন্দ্ৰপ্ৰস্থৰ অধীনস্থ ৰাজ্যৰ ৰজাসকলে, আৰু ৰাজসূয় যজ্ঞৰ পাচত ৰাজচক্ৰবৰ্ত্তী ৰজা যুধিষ্ঠিৰৰ শৰণ লোৱা কিছুমান ৰজাই সৈন্য-সামন্ত যোগাৰ কৰি লৈ দুৰ্য্যোধনৰ সাহায্যাৰ্থে আগ বাঢ়িলে। তাৰোপৰি ভীষ্ম, দ্ৰোণ, কৰ্ণ, কৃপাচাৰ্য্য, অশ্বত্থামা, জয়দ্ৰথ আৰু দুঃশাসন প্ৰভৃতি দুৰ্য্যোধনৰ ভালেমান ইষ্ট-কুটুম্ব, ভাই-ককাই গাইপতি একোজন প্ৰখ্যাত যোদ্ধা আৰু সেনাপতি। সিবিলাকে কৌৰৱৰ ফলীয়া হৈ সেই পক্ষক টনকিয়াল কৰি ৰাখিছে; সিপক্ষে পাঞ্চালৰাজৰ পিতা-পুত্ৰ আৰু পাণ্ডৱৰ পাঁচ ভাই-ককাইত বাজে আন যোদ্ধা নাই; আৰু তলতীয়া শৰণীয়া ৰজাৰ সহযোগিতাও বৰ প্ৰবল নহয়। গতিকে, কৌৰৱপক্ষ প্ৰত্যক্ষতে বেচি বলৱত। কিন্তু, তথাপিতো কৌৰৱপক্ষ নিশ্চিন্ত হব পৰা নাই; কিয়নো, সিপক্ষত যে শ্ৰীকৃষ্ণৰ সহযোগিতা থাকিব সেইটো সকলোৰে মনত ভাঠ ধাৰণা। আৰু, শ্ৰীকৃষ্ণই যি পক্ষকে অৱলম্বন কৰিব, সেই পক্ষৰে জয় ধ্ৰুৱপ বুলি সকলোৰে বিশ্বাস। কাৰণ, চানুৰমৰ্দ্দনত, কংসবধত, শিশুপালবধ প্ৰসঙ্গত শ্ৰীকৃষ্ণৰ অদ্ভুত বল-বীৰ্য্যৰ পৰিমাণ সকলোৱে পাই থৈছে; আৰু "য'তে কৃষ্ণ, ত'তে ধৰ্ম্ম; য'তে ধৰ্ম্ম ত'তে জয়" এই ভীষ্মবাণী সকলোৰে কাণত বাজি ৰৈছে।

সেই কাৰণে, কি উপায়েৰে শ্ৰীকৃষ্ণৰ সহযোগিতা লাভ কৰিব পাৰি তাৰ চিন্তাত কৌৰৱ নেতাসকল মগ্ন হল। শেহান্তৰত, শ্ৰীকৃষ্ণক আগধৰি ৰণলৈ আহ্বান কৰি হাত কৰাৰ উদ্দেশে দুৰ্য্যোধনে লিখিত অনুৰোধেৰে তেওঁৰ দূত উলুকক দ্বাৰকালৈ পাচিলে। উলুক যথাসময়ত দ্বাৰাৱতী নগৰীত উপনীত হলগৈ। কিন্তু শ্ৰীকৃষ্ণদেৱে উলুকক ওলটা-দূত বৰণ কৰি এই মৰ্ম্মে সমিচাৰ পঠিয়ালে যে, তেওঁ সন্ধি সংস্থাপন হে বাঞ্ছা কৰে; ৰাজ্য লৈ অবাবত ভাই-ককাই কটা-মৰা হৈ ধ্বংস হোৱাৰ প্ৰয়োজন নাই।

উলুক উলটি আহিল। শ্ৰীকৃষ্ণৰ সমিচাৰ শুনি কৌৰৱ পক্ষ আকৌ চিন্তিত হল। সিবিলাকে পুনৰপি আলোচনা কৰি এই সিদ্ধান্ত দিলে যে, দুৰ্য্যোধনে নিজ দ্বাৰকালৈ গৈ অনতিপলমে শ্ৰীকৃষ্ণক এজন কৌৰৱ সেনাপতিৰূপে বৰণ কৰকগৈ; তেনেহলে তেওঁ ইতস্ততঃ কৰিব নোৱাৰিব, কিয়নো প্ৰকাশ্যে তেওঁ দুয়ো ফৈদৰ হিতাশী বুলি চৰাচৰত খ্যাত। সেই ছেগতে, শকৰ সদৃশ্ বলৱন্ত কৃষ্ণাগ্ৰজ বলৰামকো অন্যতম সেনাপতিৰূপে বৰণ কৰি আহিবলৈ গুপুত্ পৰামৰ্শ দিয়া হল। গতিকে, শুভকাৰ্য্যত কালহৰণ নকৰি, সসৈন্য যাত্ৰা কৰি, দুৰ্য্যোধন দ্বাৰাৱতীত উপস্থিত হলগৈ। তেওঁ পোনেই গৈয়েই, দুৱৰীক দিহা দি খোৱা অনুমতি ক্ৰমে, শ্ৰীকৃষ্ণৰ শয়ন-মন্দিৰত প্ৰৱেশ কৰিলেগৈ। সেই সময়ত যদুনাথ বাসুদেৱ সোণখটোৱা পালঙ্কত পৰি সুখনিদ্ৰাত অভিভূত। দুৰ্য্যোধনে ধীৰে ধীৰে ওচৰ চাপি

গৈ শিতানৰ কাষত পাৰিথোৱা ৰত্নাসনত উপবিষ্ট হৈ হৃষ্টচিত্তেৰে কৃষ্ণজাগৰণ অপেক্ষা কৰিলেগৈ।

দুৰ্য্যোধনৰ মনত ৰং যে, তেওঁ আগধৰি শ্ৰীকৃষ্ণৰ কাষ চাপিলগৈ; গতিকে কৃষ্ণ-সহযোগিতাৰ ওপৰত তেওঁৰ হক অগ্ৰগণ্য হল। তেওঁ আৰু উলাহিত যে, তেতিয়ালৈকে পাণ্ডৱপক্ষীয় কোনো প্ৰস্তাৱ দ্বাৰাৱতী নৌ পায়গৈ এথোন। এতেকে, তেওঁৰ অনুৰোধ গৃহীত হোৱাটোৱেই ঠাৱৰ; এতিয়া নিদ্ৰিত কৃষ্ণদেৱে চকু মেলিলেই হয়। এনেতে, ধীৰে ধীৰে গৈ শ্ৰীকৃষ্ণৰ শয়নকক্ষত অৰ্জ্জুন উপস্থিত! দুৰ্য্যোধনৰ দিঠকৰ সপোন-সম্পদ আশঙ্কা-আপদৰ ছঁয়াই হঠাৎ ম্লান কৰি পেলালে। অৰ্জ্জুনে লাহেকৈ ভৰিপথানৰ কাষত পাৰি থোৱা এখন সাধাৰণ আসনত বহি ললেগৈ। অৰ্জ্জুন-দুৰ্য্যোধন দুয়ো দুইৰে ওচৰত অপ্ৰস্তুত হল। দুয়ো নিমাত আৰু অন্তদৃষ্টি হৈ শ্ৰীকৃষ্ণৰ জাগৰণ-প্ৰতীক্ষাত আছে, এনেতে, ভগবান বসুদেৱে সাৰ পাই চকু মেলিয়েই সমুখৰ আসনত উপবিষ্ট অৰ্জ্জুনক পোন্-প্ৰথমে দেখা পাই উঠি, হেলন বৈঠক দি, এই বুলি সম্ভাষণ কৰিলে, "অ' সখি! কেতিয়া আহিলা? সকাম কি?" অৰ্জ্জুনে সভক্তিৰে জনালে, "সখি! মই আহিবৰ সৰহপৰ হোৱা নাই। মই তোমাক আগন্তুক কুৰু-পাণ্ডৱ-ৰণলৈ নিমন্ত্ৰণ কৰিবলৈ আহিছোঁ।" কৃষ্ণদেৱে ততালিকে 'ভাল' বুলি সমিধান দি উঠিয়েই শিতানৰ ফালে পাশ কাটি চাই দেখে, দেখোন ৰত্নাসনত উপবিষ্ট দুৰ্য্যোধন! যদুনাথে আথে-বেথে তেওঁক এই বুলি সম্ভাষা কৰিলে, "ইকি! আপুনিও যে!— সকাম?" দুৰ্য্যোধনে সন্দিহান চিতেৰে গহীনাই এই বুলি মাত লগালে, "হে যদুপতি! মই হে আগধৰি আপোনাৰ কাষ চাপিছিলোঁহি। আপোনাৰ জাগৰণ প্ৰতীক্ষাত এই বহাভাগেই বহি থাকোঁতেই মোৰ বিপক্ষীয় বীৰ আহি পাচত হে আসন লৈছিলহি। এতেকে, আপুনি আগধৰি মোৰ নিমন্ত্ৰণ হে গ্ৰহণ কৰিব লাগে। কুৰু-পাণ্ডৱ উভয়ৰে লগত আপোনাৰ সমান সম্বন্ধ আৰু তুল্য সৌহৃদ্য। বিশেষতঃ, সাধুলোকে আগধৰি অহা জনৰ পক্ষ হে অৱলম্বন কৰে। আপুনি সাধুগণৰ ভিতৰত শ্ৰেষ্ঠতকৈও শ্ৰেষ্ঠ আৰু মানীতকৈও মাননীয়। এতেকে আপুনি আজি সেই সদাচাৰ পালন কৰক।" এই কথাত বাসুদেৱ পোনেই অলপ বিচলিত হৈছিল, কিন্তু প্ৰত্যুৎপন্নমতি বুদ্ধিৰ সাগৰ শ্ৰীকৃষ্ণদেৱে ততালিকে নিজক চম্ভালি লৈ, এই বুলি সমিচাৰ দিলে,—"হে কুৰুবীৰ! আপুনি যে আগধৰি আহিছিল তাত মই ধনিষ্ঠামানো সন্দেহ কৰা নাই; কিন্তু মই টোপনিৰপৰা সাৰ পাই উঠি চকু মেলিয়েই পাৰ্থ বীৰক হে পোনেই দেখা পাওঁ। যি হওক, মই আপোনাসকল দুয়োজনৰে অনুৰোধ ৰক্ষা কৰিম। মোৰ এক্তিয়াৰত দুটা দান বৈছে; এটা মই অকলশৰে, আনটো মোৰ অৰ্ব্বুদ নাৰায়ণী সৈন্যদল, যাৰ প্ৰত্যেক জনেই মোৰ নিচিনা একোজনৰ সমান বলী। তাৰোপৰি, মই নিৰস্ত্ৰ; কুৰু-পাণ্ডৱৰ ৰণত অস্ত্ৰ নধৰোঁ বুলি অগ্ৰজ ৰামৰ ওচৰত মই প্ৰতিশ্ৰুত আছোঁ। এতিয়া আপোনালোকৰ ভিতৰত কোনে কাক লয়, লওক? সখি অৰ্জ্জুন প্ৰথমে মোৰ দৃষ্টিত পৰিছিল, গতিকে বাছনিৰ বাব তেওঁলৈকে পোন্-প্ৰথমে আগবঢ়োৱা গৈছে।" অৰ্জ্জুনে, মুখস্থ ব্যক্ত কৰাৰ দৰে, ততালিকে তেওঁৰ বাছনি-মত প্ৰকাশ কৰিলে যে, নিৰস্ত্ৰ হলেও, তেওঁ শ্ৰীকৃষ্ণক হে বিচাৰে। গতিকে, কুৰু-পাণ্ডৱৰ আগন্তুক ৰণত শ্ৰীকৃষ্ণক বৰণ কৰিবলৈ গৈ, অৰ্জ্জুনে অকল নিৰস্ত্ৰ শ্ৰীকৃষ্ণকেই হে পালে কিন্তু দুৰ্য্যোধনে অৰ্ব্বুদ নাৰায়ণী সেনা লাভ কৰিলে। সেই নিৰপেক্ষ দানত অৰ্জ্জুন আৰু দুৰ্য্যোধনে সমানে সন্তুষ্ট হৈ হৰ্ষচিতেৰে যদুনাথ দ্বাৰকেশ্বৰৰ ওচৰত বিদায় লৈ ওলাই আহি দুয়ো স্বকীয়া-স্বকীয়াকৈ আতিথ্য মন্দিৰৰ মুখে গতি কৰিলে।[১]

ইতিক্ষণত, তীৰ্থ-ভ্ৰমণৰপৰা ঘূৰি আহি যদুবীৰ বলৰামে পুৰী প্ৰৱেশ কৰিছেহি মাথোন; সেই ছেগতে দুৰ্য্যোধনে, দ্ৰোণাচাৰ্য্যই শিকাই পঠিওৱা পৰামৰ্শ অনুযায়ী, হলধৰৰ কাষ চাপি তেওঁক ৰণলৈ বৰণ কৰিবলৈ আগ বাঢ়িলে। সুধীৰ, গম্ভীৰ, স্থিৰমতি সঙ্কৰ্ষণে একে-আষাৰে

(১) মহাভাৰত, উদ্যোগপৰ্ব্ব সেনোদ্যোগ পৰ্ব্বাধ্যায় ৬ষ্ঠ আধ্যা

দুৰ্য্যোধনৰ অনুৰোধ অগ্ৰাহ্য কৰি এই সমিধান দিলে যে, কুৰু-পাণ্ডৱৰ ৰণত তেওঁ তো অস্ত্ৰ নধৰেই, যাদৱ মাত্ৰকেই অস্ত্ৰ নধৰিবলৈ তেওঁ অনুজ্ঞা ঘোষণা কৰিছে। গতিকে, বলৰামৰ ওচৰত বিফল-মনোৰথ হৈ দুৰ্য্যোধনে হস্তিনা-পুৰলৈ প্ৰত্যাগমন কৰিলে।

তাৰ পাচত, শ্ৰীকৃষ্ণদেৱে এইবুলি অৰ্জ্জুনক সুধিলে, "মই একেইতো অকলশৰীয়া, তাতে নিৰস্ত্ৰ। এনেস্থলত, তুমি অৰ্ব্বুদ নাৰায়ণী সেনাৰ সলনি অকল মোক কিয় ললা? মোৰপৰা তোমাৰ বিশেষ লাভ কি হব?" অৰ্জ্জুনে এইবুলি সভক্তি প্ৰত্যুত্তৰ দিলে, "সখি, মোৰ বিশ্বাস, তুমি অকলেই অৰ্ব্বুদ সেনা নিপাত কৰিব পাৰা। ময়ো পাৰোঁ। কিন্তু, তোমাৰ সাৰথ্য বিপক্ষে লাভ কৰিলে তাত বিপৰ্যায় ঘটিবৰ সম্ভাৱনা থাকে। এতেকে, ৰণত তুমি মোৰ সাৰথি হবা। নিৰস্ত্ৰ কৃষ্ণক সাৰথি লৈ, তেওঁৰে সৃষ্ট দুৰ্জ্জয় নাৰায়ণী সেনাক জয় কৰি মই অক্ষয় কীৰ্ত্তি লাভ কৰোঁ, এয়ে মোৰ বাসনা"[১]। সিমানতে অন্তৰ্য্যামীস্বৰূপ শ্ৰীকৃষ্ণই 'তথাস্তু' বুলি অৰ্জ্জুনৰ অন্তৰৰ ভাব বুজি উঠি, তেওঁক বিদায় দিলে।

অষ্টত্ৰিংশ আধ্যা

সঞ্জয় কটকী (২)

শ্ৰীকৃষ্ণৰপৰা অৰ্ব্বুদ নাৰায়ণী সেনা[৩] লাভ কৰি অতি উলাহেৰে দুৰ্য্যোধন উলটি হস্তিনাপুৰ পালেহি। তেওঁৰ উলাহৰ আৰু এটা কাৰণ এই যে শ্ৰীকৃষ্ণ নিজে নিৰস্ত্ৰ থাকিবলৈ প্ৰতিশ্ৰুত; ইহাতে একো-একোজন নাৰায়ণী সেনা কৃষ্ণসম বলৱন্ত; তেনেকুৱা অৰ্ব্বুদ বলী সেনা লাভ! তাৰ তুলনাত অকল-কৃষ্ণ একোৱেই নহয়। দুৰ্য্যোধনৰ বিবেচনাত অৰ্জ্জুন মূৰ্খ; নহলে, আগন্তুক মহাৰণৰ সময়ত তেওঁ কৃষ্ণ-সখিত্বত মুগ্ধ হৈ সেই ক্ষীণ বাছনি গ্ৰহণ নকৰিলেহেঁতেন। কিন্তু, সেই সংবাদে হস্তিনাপুৰত আটাইকে দুৰ্য্যোধনৰ সেই উলাহৰ সমভাগী কৰিব নোৱাৰিলে। বিশেষকৈ, ভীষ্মদেৱ আৰু বিদুৰৰ শাৰীৰ ধৰ্ম্মাত্মাসকল সেই সংবাদত নিশ্চিন্ত নহৈ সশঙ্কিত হৈ হল। কিয়নো, "য'তে কৃষ্ণ, ত'তে ধৰ্ম্ম; য'তে ধৰ্ম্ম, ত'তে জয়" এই সৰল বিশ্বাস সিবিলাকৰ অন্তৰত অচল আৰু অটল।

শ্ৰীকৃষ্ণদেৱে পাণ্ডৱ পক্ষ অৱলম্বন কৰাত আটাইতকৈ অধিক আশঙ্কিত হল অলপধতুৱা পুত্ৰসেন্দ্ৰৱা অন্ধৰাজ ধৃতৰাষ্ট্ৰ। কিয়নো, কৃষ্ণ আৰু ভীমাৰ্জ্জুনলৈ তেওঁৰ বৰ ভয়।[৪] আগন্তুক ৰণৰ ফলাফলৰ বিষয়ে ভবিষ্যদ্বাণী শুনি তেওঁ অস্থিৰ হৈ পৰিল। শ্ৰীকৃষ্ণৰ অদ্ভুত বল-বুদ্ধিকৌশলৰ মাহাত্ম্যত তেওঁৰ নিজৰো অটল বিশ্বাস। যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞত তেওঁ তাৰ বিশিষ্ট প্ৰমাণ পাই থৈছিল। তেওঁৰ ধন-ৰাজ্য যাওক, তাত তেওঁ সিমানকৈ লগা নাই; কিন্তু কৃষ্ণ-কৌশলত যে অচিৰে তেওঁৰ দুৰ্ম্মতি পুত্ৰগণ সমূলঞ্চে ধ্বংস হব, সেই আশঙ্কাত তেওঁ অতিশয় অস্থিৰ হৈ পৰিল। দিঠকে সপোনে তেওঁ আপদৰ ভয়ঙ্কৰ ৰূপ দেখি কঁপিবলৈ ধৰিলে। আৰু, শেহান্তৰত তেওঁ সেই বিষয়ত নিস্তাৰৰ উপায়-বুদ্ধি পাবলৈ 'কণাৰ লাখুটি' সঞ্জয় মন্ত্ৰীত ভাৰসা কৰিলে।

ইতিমধ্যত সিফালে উপপ্লব্যত[৫] মহাৰথ শ্ৰীকৃষ্ণৰ দিহা-

---

(১) মহাভাৰত উদ্যোগপৰ্ব্ব, সেনোদ্যোগ পৰ্ব্বাধ্যায়, ৬ষ্ঠ আধ্যা।

(২) সঞ্জয় অন্ধৰাজ ধৃতৰাষ্ট্ৰৰ অতি বিশ্বস্ত মন্ত্ৰী। বাহিৰৰ বা-বাতৰি সমুদায় তেওঁ এইজনা ঘাই মন্ত্ৰীৰ মুখেহে শুনিছিল, আৰু তেওঁৰ কথাত হে সততে প্ৰত্যয় মানিছিল। আপদ-বিপদৰ সময়ত ৰজা ধৃতৰাষ্ট্ৰই মন্ত্ৰী সঞ্জয়ৰ পৰামৰ্শ লৈহে কাৰ্য্যত অগ্ৰসৰ হৈছিল।

(৩) এই নাৰায়ণী সেনা আন নহয়, বৃন্দাবনৰ শ্ৰীকৃষ্ণ-গঠিত সেই গোপ সেনাদল। এই বিষয়ে আদ্যলীলা খণ্ডত বহলাই কোৱা হৈছে।

(৪) কিয়নো, এই তিনিয়ে লগ লাগি গৈ গিৰিব্ৰজত দুৰ্জ্জয় জৰাসন্ধক বধ কৰা আৰু যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞত শ্ৰীকৃষ্ণই অকলশৰে মহাৰথ চেদীশ্বৰ শিশুপালক নিধন কৰাৰ কথা অন্ধৰাজ ধৃতৰাষ্ট্ৰই পাহৰা নাই।

(৫) উপপ্লব্য কুৰুক্ষেত্ৰৰ ওচৰৰ এখন সৰু গাওঁ।

মতে প্ৰবল প্ৰতাপী পাঞ্চালৰাজ দ্ৰুপদ আৰু তেওঁৰ বিখ্যাত বীৰ পুত্ৰ ধৃষ্টদ্যুম্নৰ সহায়ত অসংখ্যাত সৈন্য[১] সংগ্ৰহ কৰি, যি বিপুল আয়োজনেৰে ভীমাৰ্জ্জুন আগন্তুক মহাৰণৰ অৰ্থে সক্ষম হৈছিল, আৰু ইফালে হস্তিনাপুৰত দুৰ্য্যোধন-দুঃশাসন প্ৰমুখ্যে তেওঁৰ পুত্ৰগণে অগণন সৈন্য[২] কি দৰে সমাবেশ কৰি উঠিছিল, সেই বিষয়ক ভাঁৰৰ বাতৰি ভাঁৰে হুবহুকৈ অন্ধৰাজ ধৃতৰাষ্ট্ৰই সঞ্জয়ৰ মুখে শুনি আছিল। শুনি শুনি পুত্ৰগণ, বংশ-পৰিয়াল আৰু আত্মীয়-কুটুম্বাদিৰ বিনাশনৰ আশঙ্কাত অন্ধৰাজ অতিশয় অস্থিৰ হৈ পৰিল। দুৰ্ব্বল পিতৃ ধৃতৰাষ্ট্ৰই নিজৰ পুত্ৰগণক যুদ্ধ-আয়োজনৰপৰা নিবৃত্ত কৰিবলৈ অপাৰগ হৈ, সদোশেহত ধৰ্ম্ম যুধিষ্ঠিৰক বুজাই-বৰাই ধৰ্ম্মহানি আৰু পাপ পৰশনৰ ভয় দেখুৱাই ৰণ-বিমুখ কৰাবলৈ বুলি তেওঁৰ বিশ্বস্ত মন্ত্ৰী সঞ্জয়ক পাণ্ডৱ-শিবিৰলৈ কটকী পাচিলে।[৩]

সঞ্জয় কটকী পাণ্ডৱ-শিবিৰত গৈ উপনীত হোৱা মাত্ৰকে তেওঁক যথা-সমাদৰে নি ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ আগত ভেঁটোৱা হল। উভয়তঃ কুশল-মঙ্গলাদি সোধা-সুধি কৰাৰ পাচত, সঞ্জয়ে এই বুলি ধৰ্ম্ম-যুধিষ্ঠিৰক বুজাবলৈ ধৰিলে,[৪] "হে ধৰ্ম্মৰাজ! আপোনাৰ ধৰ্ম্ম-যশস্যা ভাৰতত বৈ-বৈ গৈছে। আপুনি যে দয়ালু, ক্ষমাশীল আৰু ধৰ্ম্মভীৰু, সেয়ে তাৰ মূল। কাৰ কপালত কি আছে কোনে কব? সেই নিগূঢ় কাৰণৰ ফলত হে আপোনাত অত অপায়-অমঙ্গল মিলিছে। কিন্তু, আপোনাৰ ধৰ্ম্মৰ প্ৰভাৱত সকলো অপায় আপুনি খণ্ডিব লাগিছে। আপুনি মন কৰিলে উপস্থিত ছেগত আৰু এটি অভাবনীয় ধৰ্ম্ম-কীৰ্ত্তি ৰাখি পৃথিৱীত অমৰ হব পাৰে। কুৰু-পাঞ্চালৰ মাজত পুৰুষানুক্ৰমিক চলি অহা কন্দলৰ কথা আপোনাৰ অবিদিত নহয়। এই ব্ৰহ্ম-সুযোগতে আপুনি সেই কন্দল ভাঙি চিৰশান্তি স্থাপন কৰি পুণ্য সঞ্চয় কৰি থব পাৰে।[৫] সম্প্ৰতি পাণ্ডৱক নিমিত্তকাৰণ কৰি কুৰু-পাঞ্চালৰ মাজত যি মহাৰণ লাগিবলৈ আয়োজন কৰা হৈছে, আপুনি তাৰপৰা গা-এৰা দিলেই সেই উদ্দেশ্য সহজে সিদ্ধ হব। নীচকামৰ আয়োজন আপোনাত নোশোভে। নিজ বংশ-নাশতকৈ নীচ কাম আৰু কি আছে? আপুনি কুৰুকুল-তিলক হৈ কুৰুবংশৰ ধ্বংস কৰিলে আপোনাৰ অৰ্জ্জিত ধৰ্ম্মতকৈ পাপৰ পৰিমাণ ভালেমানগুণে চৰা হব। আপুনি নিজৰ বংশ কুটুম্বাদিক নাশ কৰি উঠি, পৃথিবীপতি হলেও আপোনৰ অন্ত্যকাল মৰামুছা যেন হৈ পাৰ হব। গতিকে, হে ধৰ্ম্মৰাজ! আগন্তুক মহাৰণত জয় আৰু পৰাজয় আপোনাৰ মানত সমান। আদৰ্শ ধাৰ্ম্মিক পুৰুষ পাণ্ডুনন্দন আপুনি অন্যৰ নিচিনাকৈ নীচ কাৰ্য্যত লিপ্ত হৈ অধৰ্ম্ম আৰু পাপ চপাই লবলৈ কিয় আগ বাঢ়িব? এতেকে, মই কৰযোৰকৈ মাতিছোঁ, আপুনি আগন্তুক মহাৰণৰপৰা নিবৃত্ত হৈ, এহাতে নিজবংশ কুৰুকুল ৰক্ষা কৰি, আনহাতে কুৰু-পাঞ্চালৰ চিৰবৈৰিতা বিনাশ কৰি, আপোনাৰ নামৰ যোগ্য কাম কৰোক।[৬] সঞ্জয়ৰ উক্তি শুনি সুধীৰ যুধিষ্ঠিৰে সুস্থিৰ ভাৱে এইবুলি সমিধান দিলে, "হে সঞ্জয়! মই ৰণপ্ৰত্যাশী নৰ নহওঁ। মই কাচিতো কাৰো আগত ৰণ অহ্বান কৰা নাই, বৰঞ্চ পাৰ্য্যমানে ৰণ নিবাৰণৰ চেষ্টাত হে আছোঁ। মই এতিয়াও প্ৰতিশ্ৰুত যে, সংপ্ৰীতিৰে লাভ কৰিব পাৰিলে যি পাওঁ মই তাতে সন্তুষ্ট হম, আপুনি ধ্ৰুপ বুজিব, মই সততে ৰণৰ বিপক্ষ আৰু সন্ধিৰ সপক্ষ। কিন্তু, উভয়তঃ ধৰ্ম্মৰ ভেঁটি ৰব লাগিব। এই পৃথিৱীত দেৱতাবাঞ্ছিত যি ঐশ্বৰ্য্য-বিভূতি আছে সেই সমস্তকে

---

(১) পাণ্ডৱ-শিবিৰত সাত অক্ষৌহিণী সৈন্য সংগৃহীত হৈছিল।

(২) কৌৰৱ শিবিৰত সেই সময়লৈকে ১১ অক্ষৌহিণী সৈন্যৰ সমাবেশ হৈছিল। তাৰে এক অক্ষৌহিণী সৈন্য কামৰূপৰ অধিপতি ভগদত্ত ৰজাই অকলেই যোগান দিছিল।

(৩) মহাভাৰত, উদ্যোগপৰ্ব্ব, সঞ্জয়যান পৰ্ব্বাধ্যায়, ২১ আধ্যা।

(৪) মহাভাৰত, উদ্যোগপৰ্ব্ব, সঞ্জয়যান পৰ্ব্বাধ্যায়, ২২ আধ্যা।

(৫) মহাভাৰত, উদ্যোগপৰ্ব্ব, সঞ্জয়যান পৰ্ব্বাধ্যায়, ২৩ আধ্যা।

(৬) মহাভাৰত, উদ্যোগপৰ্ব্ব, সঞ্জয়যান পৰ্ব্বাধ্যায়, ২৪ আধ্যা।

পালেও, আৰু প্ৰাজাপত্য স্বৰ্গব্ৰহ্মলোক এই নৰবাসনাতীত সম্পদ লাভ হলেও, অধৰ্মতঃ সেইবোৰ অধিকাৰী হবলৈ মোৰ বাসনা নাই। এতেকে, মই যথাসময়ত যথাবিধি যি সন্ধি প্ৰস্তাৱ পঠিয়াইছিলোঁ, কুৰুৰাজ তাত মান্তি হলেই সকলো অপায় আপুনি খণ্ডিলহেঁতেন। তথাপি, আপুনি উচিত বিবেচনা কৰে যদি, মই মোৰ স্বসংস্থাপিত ৰাজ্যমূল ইন্দ্ৰপ্ৰস্থ মাথোন ঘূৰাই পালেও তাতে মই তুষ্ট হম, আৰু ৰণৰ আয়োজন প্ৰত্যাহাৰ কৰিম। আপুনি মোৰ কটকী হৈ ঘূৰি সুধি চাওকগৈ, কুৰুৰাজে মোক মোৰ প্ৰতিষ্ঠিত ৰাজ্য ইন্দ্ৰপ্ৰস্থকে ঘূৰাই দিব নে? অন্ততঃ, পাঁচ-পাণ্ডৱক পাঁচখন গাওঁ সংপ্ৰীতিৰে ঘূৰাই দিলেও আমি তুষ্ট হম।" এই সুৰেৰে যুধিষ্ঠিৰে সঞ্জয়ক আৰু ভালেমান ন্যায্য কথা শুনালে।[১]

যুধিষ্ঠিৰৰ ন্যায়যুক্তিপূৰ্ণ সমিধান মন পাৰি শুনি সঞ্জয় হতাশ হল। কিন্তু, তেওঁ অবুজনৰ ভাও ধৰি পুনৰপি এইবুলি ধৰ্ম্ম-যুধিষ্ঠিৰক ধৰ্ম্মৰ দোহাই দি পেৰিবলৈ ধৰিলে[২], "হে ধৰ্ম্মযুধিষ্ঠিৰ! আপুনি ধৰ্ম্মপৰায়ণ বুলি জগতে জানে। তথাপি, এটা কথালৈ মন কৰিব যে, এই নৰজন্ম সমূলি অঠাৰৰ; অতুল ঐশ্বৰ্য্য আৰু অসীম যশস্যাৰ গৰাকীৰো মৰণ আছে। যি অসাৰ-অঠাৰৰ ভূ-সম্পত্তিৰ অৰ্থে আপুনি ৰণৰ আয়োজন কৰিছে, সি আপোনাৰ লগত পৰলোকলৈ নাযায়, নশ্বৰ দেহাৰ লগত ইয়াতে পৰি ৰব। এতেকে, মোৰ মনেৰে কুৰুৰাজে আপোনাক ৰাজ্য-সম্পদ ঘূৰাই নিদিলেও আপুনি ৰণ পাতি কুৰুকুল ধ্বংসৰ উপায় নিচিন্তিব। তাৰোপৰি, ৰণ পাতি জ্ঞাতি মাৰি লাভ কৰা ৰাজভোগতকৈ মাগি খোৱাও সহস্ৰগুণে শ্ৰেয়ঃ। কাম-লীপ্সা সকলো ধৰ্ম্মৰে অনৰ্থৰ মূল। বিভূতি-বাঞ্ছা সংসাৰৰ ঘোৰ মায়া মাথোন। এই দুইক এৰাব নোৱাৰিলে সংসাৰৰ মোহ এৰিব নোৱাৰি। মোহমুক্ত নহলে মোক্ষ-প্ৰাপ্তি নাই[২]। কিন্তু, ধৰ্ম্মনীতি পালনেই যাৰ জীৱনৰ লক্ষ্য, তেওঁ এই পৃথিৱীত ঐশ্বৰ্য্য-যশস্যা লাভৰ উপৰি, পৰলোকত সূৰ্য্যসদৃশ দীপ্তিমান হয়। আপুনি বেদ-অধ্যয়নত বিশেষ বুৎপত্তি লাভ কৰিছে, ব্ৰহ্মচৰ্য্য হেন কঠোৰ ব্ৰত পালন কৰিছে, ৰাজসূয়-যজ্ঞ হেন মহাযজ্ঞ সাধন কৰিছে; ইমান পুণ্য অৰ্জ্জন কৰি এতিয়া পাপসঞ্চয় নকৰিব। হে ধৰ্ম্মৰাজ! ৰাজ্যসম্পদ লাভৰ বাসনা পূৰাবৰ উদ্দেশ্যে যদি আপুনি আগন্তুক ৰণত লিপ্ত হয়, তেনেহলে আপোনাৰ সঞ্চিত পুণ্য সমুদায় অথলে যাব। আৰু এটা কথা,—মনলৈ কাচিতো ক্ৰোধ ভাব নানিব। ক্ৰোধেই সকলো অনৰ্থৰ মূল। এই ক্ৰোধেই হে আপোনাক জ্ঞাতিহন্তা ৰণলৈ উদ্গাইছে। এতেকে, হে ধৰ্ম্মৰাজ! ক্ৰোধ সংবৰণ কৰোক, অনৰ্থক নৰশোণিতেৰে ৰণ-ক্ষেত্ৰ প্লাবিত নকৰিব। ভাবি চাওক, নিজৰ পিতামহ, পিতৃব্য, ভাই-ভতিজা আদি জ্ঞাতিৰ তেজ-বিনিময়ত লাভ কৰা ধন-ৰাজ্য ঐশ্বৰ্য্য-বিভূতিত কি সুখ আছে? মই ইয়াকো কওঁ যে, ৰণ নাপাতিলে যদি আপোনাৰ ইষ্ট-কুটুম্ব, ভাই বন্ধু আৰু স্বাৰ্থপৰ উপদেষ্টাসকলে আপোনাক নেৰে, তেন্তে আপুনি সৰ্ব্বত্যাগী হৈ আকৌ বনলৈ গুচি যাওক, তথাপি ধৰ্ম্মপথ নেৰিব।"[৩]

অগত্যা, যুধিষ্ঠিৰে পুনৰপি এই বুলি প্ৰত্যুত্তৰ দিলে, "হে সঞ্জয়! আপুনি নিতান্তই নেৰে যদি, ময়ো এটা সমস্যাৰ মীমাংসা বিচাৰোঁ যে, এহাতে সন্ধি-প্ৰস্তাৱ পৰিহাৰ কৰিলেও যদি নিন্দিত হওঁ, আন হাতে ৰণত প্ৰবৃত্ত হলেও যদি স্বধৰ্ম্মৰপৰা পিছলি পৰোঁ, তেন্তে নো ন্যায়তঃ আৰু ধৰ্ম্মতঃ মই এতিয়া কি কৰা উচিত? এনে সমস্যা ভাঙিবলৈ বিশেষ তত্ত্বজ্ঞানৰ প্ৰয়োজন। সেই জ্ঞানৰ গুণেৰে অন্যক তত্ত্বপন্থা দান কৰিব পৰা পুৰুষ বৰ্ত্তমান মই একমাত্ৰ শ্ৰীকৃষ্ণক হে দেখিছোঁ। ধৰ্ম্মাত্মা বাসুদেৱ এজন ধৰ্ম্মপ্ৰদাতা, নীতিসম্পন্ন, সবাতোপৰি বেদশাস্ত্ৰজ্ঞ সুপণ্ডিত। তেওঁ কৌৰৱ আৰু পাণ্ডৱ দুয়ো ফৈদৰে

(১) মহাভাৰত, উদ্যোগপৰ্ব্ব, সঞ্জয়যান পৰ্ব্বাধ্যায়, ২৫ আধ্যা।

(২) মহাভাৰত, উদ্যোগপৰ্ব্ব, সঞ্জয়যান পৰ্ব্বাধ্যায়, ২৬ আধ্যা। কৃষ্ণধৰ্ম্মজ্ঞান লাভলৈ এয়ে প্ৰথম সোপান।

(৩) *মহাভাৰত, উদ্যোগপৰ্ব্ব, সঞ্জয়যান পৰ্ব্বাধ্যায়, ২৭ আধ্যা।

হিতৈষী, দুয়ো ফৈদকে তেওঁ সমান-চকুৰে চায়। বৰ্ত্তমান ভাৰতৰ মহাবলপৰাক্রান্ত ভূপতি সকলকো তেওঁৰ গুণ-জ্ঞানে শাসন কৰিছে। এতেকে, সেই অদ্বিতীয় জ্ঞানাধাৰ সাক্ষাৎ শ্ৰীকৃষ্ণেই কওকচোন, মই এতিয়া কোনটো পন্থা অৱলম্বন কৰা বিধেয়। শ্ৰীকৃষ্ণ মোৰ মানত আজি পৃথিবীত উচ্চতম, প্রিয়তম আৰু সাধুতম আদর্শ পুৰুষ ; মই কাচিতো এওঁৰ উপদেশ অন্যথা নকৰোঁ।" সঞ্জয়-যুধিষ্ঠিৰৰ মাজত এইবোৰ সাধু তর্কবাদ চলি থাকোতে বাসুদেৱে ধর্ম্ম-যুধিষ্ঠিৰৰ এপাশে বহি শুনি শুনি মিচিক্-মিচিক্‌কৈ হাঁহি আছিল।

উনচত্বাৰিংশ আধ্যা

কৃষ্ণ-সঞ্জয় সংবাদ

ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ সাঙ্কেতিক অনুৰোধ অনুসৰি, শ্ৰীকৃষ্ণদেৱে সঞ্জয়ক এই বুলি সমিচাৰ দিলে, "হে সঞ্জয়! মই সততে পাণ্ডৱবৰ্গৰ কুশল কামনা কৰোঁ, পাণ্ডৱৰ বিভূতি বাঞ্ছা কৰোঁ, আৰু পাণ্ডৱৰ হিত চিন্তা কৰোঁ। কুৰুৰাজ ধৃতৰাষ্ট্ৰ আৰু তেওঁৰ পুত্ৰগণৰো মই সমভাৱে কুশল কামনা কৰোঁ, বিভূতি বাঞ্ছা কৰোঁ আৰু উপকাৰ চিন্তা কৰোঁ। কৌৰৱ-পাণ্ডৱৰ মাজত যাতে সংপ্ৰীতিৰে সন্ধি সংস্থাপিত হয়, তাকেহে মই কামনা কৰোঁ। তাৰ অন্যথা কৰিবলৈ মই কাকো কোনো উপদেশ আৰু পৰামৰ্শ নিদিওঁ। ধৰ্ম্মৰাজ যুধিষ্ঠিৰেও সন্ধি সংস্থাপন হে বাঞ্ছা কৰে; সেইভাৱে তেওঁ আত্মীয়-স্বজনৰ আগত স্ব-অভিমত প্ৰকাশ কৰাও আমি শুনিছোঁ। কিন্তু, ধৃতৰাষ্ট্ৰ ৰজাৰ পুত্ৰগণ অতিশয় অৰ্থলোভী, পাণ্ডৱৰে সৈতে যে সিবিলাকে সংপ্ৰীতিৰে সন্ধি পাতিবলৈ মান্তি হব, মোৰ সেইটো বিশ্বাস নহয়। এতেকে, উপস্থিত কন্দল যে ক্ৰমাৎ বাঢ়িহে যাব তাত সন্দেহ নাই। হে সঞ্জয়! ধৰ্ম্মৰাজ যুধিষ্ঠিৰ আৰু মই কাচিতো ধৰ্ম্মৰপৰা পিছলি যোৱা নাই ; এই কথা জানি-শুনিও, স্বকৰ্ম্ম সাধনলৈ উদ্যত আৰু স্বধৰ্ম্ম পালনলৈ উলাহেৰে অগ্ৰসৰ হোৱা ধৰ্ম্মপ্ৰাণ যুধিষ্ঠিৰক অধাৰ্ম্মিক বুলি আপুনি অবাবত ব্যথা দিব খোজে নে? আপুনি যি ধৰ্ম্মক লক্ষ্য কৰি ধৰ্ম্মাত্মা যুধিষ্ঠিৰৰ মন ঘূৰাবলৈ প্ৰয়াস পাইছে, মই সেই ধৰ্ম্মৰ স্বৰূপ ব্যাখ্যা দিওঁ শুনক।"[১]

"হে সঞ্জয়! যদ্যপি শাস্ত্ৰ-শুদ্ধি আৰু পৰিয়াল-পালক হৈ বেদ অধ্যয়ন কৰি জীৱনযাপন কৰাই সবাতোভাল পন্থা, তথাপি নানা ঋষিৰ নানা মত; কোনোৰ মতে অকল বেদজ্ঞানৰ প্ৰভাৱত মোক্ষলাভ হয়, কোনোৰ মতে কৰ্ম্ম-গ্ৰাহীজনৰ দ্বাৰাই হে মোক্ষপ্ৰাপ্তি হয়। কিন্তু, হে সঞ্জয়! ভোজন নহলে যেনেকৈ ভোক নুগুচে, কৰ্ম্ম-অনুষ্ঠান নহলে তেনেকৈ অকল বেদজ্ঞানেৰে মোক্ষপ্ৰাপ্তি নহয়। যি বিদ্যাৰ বলেৰে কৰ্ম্ম সাধন কৰিব পাৰি সেই বিদ্যাই বিদ্যা, সিয়ে ফলৱতী ; কিন্তু যি বিদ্যাত কৰ্ম্মানুষ্ঠান নাই, সেই বিদ্যা অবিদ্যা, সি পুষ্পৱতী নহয়। আৰু, পানী পিলে যেনেকৈ পানৰ লগে লগে পিয়াহ গুচে, তেনেকৈ যি সব কৰ্ম্ম সাধিলে হাতে হাতে তাৰ ফল লাভ হয়, সেই কৰ্ম্মৰ অনুষ্ঠানেই মানুহৰ কৰ্ত্তব্য। এতেকে, হে সঞ্জয়! কৰ্ম্ম হে মোক্ষলাভৰ বিহিত বিধান, কৰ্ম্ম হে জগতত সৰ্ব্বশ্ৰেষ্ঠ। যি কৰ্ম্মতকৈ আন কোনো বিষয়ক শ্ৰেষ্ঠতৰ ভাবে, তেওঁৰ সকলো নিষ্ফল হয়।"[২]

---

(১) শ্ৰীকৃষ্ণই স্বধৰ্ম্ম মতৰ আভাস দিয়া এয়ে প্ৰথম। তেওঁ এই স্থলত যি আভাস দিছে, পাচত যথাস্থলত (গীতা ব্যাখ্যানত) তাৰ বহুল আৰু বিশদ ব্যাখ্যা দিবঁগৈ। গীতা-ধৰ্ম্ম যে কৃষ্ণধৰ্ম্ম, সেই ধৰ্ম্ম যে কৃষ্ণ-প্ৰণীত আৰু কৃষ্ণ-প্ৰচাৰিত তাৰো প্ৰমাণাৰ্থে ইয়াৰপৰা যুক্তি টানিব পাৰি। যিবিলাকৰ মনত এনে ধাৰণা হব পাৰে যে, গীতাত যি ধৰ্ম্ম ব্যাখ্যা কৰা হৈছে, সেই ধৰ্ম্ম-পন্থাৰ বিষয় গীতাকাৰে কৃষ্ণৰ মুখে কোৱাইছে মাথোন, সিবিলাকেও সেই ভুল ধাৰণা গুচাবলৈ এই আগলি-আভাসৰপৰা যুক্তি টানিব পাৰিব। কিয়নো, কুৰুক্ষেত্ৰ যুদ্ধৰ আৰম্ভণত অৰ্জ্জুনৰ আগত ব্যাখ্যা কৰা গীতা-ধৰ্ম্মৰ মৰ্ম্ম শ্ৰীকৃষ্ণই তাৰ আগেয়েই যথাসম্পৰ্কত কৈ আহিছে। এতেকে, গীতা-কথন যে শ্ৰীকৃষ্ণ-প্ৰণীত ধৰ্ম্মমত, তাত দ্বিধামত হোৱাৰ কোনো কাৰণ নাই।

(২) মহাভাৰত, উদ্যোগপৰ্ব্ব, সঞ্জয়যান পৰ্ব্বাধ্যায়, ২৮ আধ্যা।

"হে সঞ্জয়! চাওকচোন, কৰ্ম্মৰ বলতে দেৱতাসকলে দিব্যজ্ঞান লাভ কৰিছে; সৃষ্টিৰ প্ৰাণস্বৰূপ বায়ু কৰ্ম্মৰ ফেৰতে অবিচ্ছেদে ব'ব লাগিছে; কৰ্ম্মৰ বলতে দিন-ৰাতি ঘটাই বেলিয়ে অবিৰাম ভ্ৰমিব লাগিছে; পক্ষ-প্ৰৱৰ্ত্তক চন্দ্ৰই কৰ্ম্মৰীতি অনুসৰি পক্ষে পক্ষে পোহৰ দিব লাগিছে; কৰ্ম্মগ্ৰাহী অগ্নিয়ে কৰ্ম্মবলেৰে নৰলোকৰ হিতসাধন কৰিব লাগিছে; কৰ্ম্মবলেৰে পৃথিবীয়ে একেৰাহে বুকুপাতি সৃষ্টিৰ ভাৰ সহিছে; নদ-নদীয়ে কৰ্ম্মৰ বলতে নিছিগা-ধাৰেৰে বৈ প্ৰাণীজগতৰ কল্যাণ সাধন কৰিব লাগিছে; ইন্দ্ৰ, বৃহস্পতি, ৰুদ্ৰ, আদিত্য, যম, কুবেৰ, যক্ষ, অপ্সৰা, গন্ধৰ্ব্ব, নক্ষত্ৰ প্ৰভৃতি সকলো কৰ্ম্মপ্ৰভাবেই প্ৰতিভাত; ব্ৰহ্মচৰ্য্য, ব্ৰহ্মবিদ্যা আদি কৰ্ম্মানুষ্ঠানৰ বলেৰেই মহা মহা যোগী-ঋষিসকলে জগতৰ মঙ্গল সাধনা কৰি পূজনীয় হৈছে। এয়ে যদি প্ৰকৃত,—প্ৰাকৃতিক বিধান অনুসৰি যদি মানুহ চলিবই লাগে,—তেন্তে, হে সঞ্জয়, মানুহে মানুহৰ কৰ্ত্তব্য কৰ্ম নকৰি কেনেকৈ পাৰে?"[১]

"হে সঞ্জয়! ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ সকলোৰে ধৰ্ম্ম-কৰ্ম্মৰ বিধি-বিধান আপোনাৰ অবিদিত নহয়; তথাপি আপুনি অকল কৌৰৱৰ হিতাৰ্থে পাণ্ডৱক কৰ্ত্তব্য পালনৰ পৰা পিছলাবৰ প্ৰয়াস পাইছে কিয়? আপুনি জানে ধৰ্ম্মৰাজ যুধিষ্ঠিৰ এজন বেদজ্ঞ পুৰুষ; তেওঁ ৰাজসূয়-যজ্ঞ অনুষ্ঠানকাৰক, তেওঁ যুদ্ধবিদ্যাত পাৰদৰ্শী লোক; হাতী-ঘোঁৰা-ৰথ চলোৱাত তেওঁ পাকৈত পুৰুষ। এনেস্থলত কৌৰৱৰ প্ৰাণহিংসা নকৰাকৈ বিনা-ৰণ-বিগ্ৰহে অপহৃত ৰাজ্য পুনঃলাভ কৰিবলৈ আপুনি যদি পাণ্ডৱক অন্য কোনো উপায় দিব পাৰে, তেনেহলে উভয়তঃ ধৰ্ম্মৰক্ষা হয়। সম্ভবতঃ, সংপ্ৰীতি সন্ধি সংস্থাপনকেই আপুনিও সবাতোভাল সদুপায় বুলি ভাবিছে। কিন্তু, এই খিনিতে এটা প্ৰশ্ন উঠে যে, যুদ্ধ কৰিলে ক্ষত্ৰিয় ধৰ্ম ৰক্ষা হয় নে যুদ্ধ-বিমুখ হলে সেই ধৰ্ম্ম ৰক্ষা হয়? ইয়াৰ মাজত যিটোকে ধৰ্ম্মতঃ শ্ৰেয়ঃ বুলি আপুনি কয়, মই তাৰে অনুষ্ঠানত প্ৰবৃত্ত হবলৈ ধৰ্ম্ম-যুধিষ্ঠিৰক অনুৰোধ কৰিম।"[২]

"হে সঞ্জয়! ৰাজ্য আৰু ৰাইজক ৰক্ষা কৰাই ৰজাৰ ঘাই কৰ্ত্তব্য কৰ্ম্ম। পুণ্যাত্মাক দান আৰু নিৰাশ্ৰয়ক আশ্ৰয় দিয়াটো ৰজাৰ অন্যতম কৰ্ত্তব্য। বেদ-অধ্যয়ন, যজ্ঞাদিৰ অনুষ্ঠান, পত্নীৰ মৰ্য্যাদা ৰক্ষা ইত্যাদি ৰজাৰ সৰ্ব্বোৎকৃষ্ট কৰ্ম্ম। যি এইবোৰ আচৰণ নকৰে, তেওঁ সাধু ৰজা নহয়; যি ইয়াৰ বিপৰীত আচৰণ কৰে, সি ৰাজভোগৰ অযোগ্য। যি নেদেখাকৈ পৰস্ব অপহৰণ কৰে সি চোৰ; আৰু যি দেখাদেখিকৈ অপহৰণ কৰে সি ডকাইত। কিন্তু, ধৰ্ম্মতঃ চোৰ আৰু ডকাইত দুয়ো সমান পাপী, সমান অপকাৰী আৰু সমানে দণ্ডনীয়। এতিয়া, হে সঞ্জয়! নিৰপেক্ষভাৱে এবাৰ গমি চাওকচোন, চোৰ, ডকাইত আৰু দুৰ্য্যোধনৰ মাজত প্ৰভেদ কিমান? কুৰুৰাজ ধৃতৰাষ্ট্ৰৰ পুত্ৰগণে পাণ্ডু ৰজাৰ পুত্ৰগণৰ পৈতৃক সম্পত্তি আৰু স্বোপাৰ্জ্জিত ৰাজ্যধন ডকাইতিকৈ কাঢ়ি লৈছে; পিচে এই ডকাইতৰ দণ্ড হোৱা উচিত নে অনুচিত? মোৰ বোধেৰে পৈতৃক সম্পত্তি উদ্ধাৰৰ অৰ্থে প্ৰাণ পৰ্য্যন্ত উছৰ্গা কৰা উচিত।"

"হে সঞ্জয়! আৰু এটা পাহৰিব নোৱাৰা কৌৰৱৰ অতিশয় ঘৃণনীয় আচৰণলৈ মন কৰি চাওক। পাণ্ডৱ-পটেশ্বৰী দ্ৰৌপদীক কৌৰৱ ৰাজসভাত থিয় কৰাই অবাবত কেনেকৈ লাঞ্ছিত কৰা হৈছিল! সেই যাজ্ঞসেনীৰ যি কেশপাশ ৰাজচক্ৰবৰ্ত্তী ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞত পূজান্ত হৈছিল, দুঃশাসন বাঘে সেই কেশত ধৰি চোচোৰাই নি কৃষ্ণা কুঁৱৰীক কি ভাৱে কৌৰৱ সভাত থিয় কৰাই-ছিলগৈ! আজিকোপতি সেই কেশপাশ পুণ্যাত্মা দ্ৰৌপদী-দেৱীৰ খোপাৰ বাজ হৈ ৰৈছে, আৰু ভীমসেনৰ প্ৰতিশ্ৰুত প্ৰতিশোধ প্ৰদান নহয়মানে সেই কেশপাশ মুকলি হৈয়ে

(১) গীতাধৰ্ম্মৰ মৰ্ম্মমতে যি কৰ্ত্তব্য সেয়ে কৰ্ম্ম। যাৰ মুখে এই ছেগত এই তত্ত্বপন্থা ব্যক্ত হৈছে, তেওঁৰ মুখেই যথাস্থানত যথাছেগত গীতাধৰ্ম্ম ব্যক্ত হব। এতেকে, গীতা, কৃষ্ণপ্ৰণীত ধৰ্ম্ম বুলি মানিবলৈ কৃষ্ণ-সঞ্জয় সংবাদে ডাঠি সমৰ্থন কৰে।

(২) গীতাৰ ১৮শ, আধ্যাত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ ধৰ্ম্মনীতি আচৰণাদিৰ যি বিশদ ব্যাখ্যা দিয়া হৈছে, এইখিনি তাৰে সাৰমৰ্ম্মৰ আগলি মাথোন। গীতাৰ পূৰ্ব্বৰাগৰ লগে লগে ইয়াক শ্ৰীকৃষ্ণৰ অন্ত্যলীলাৰ আগলি পোহৰ বুলিও হৃদয় মেলি লব পাৰি।

ৰব। সিমানতো ধৃতৰাষ্ট্ৰৰ পুত্ৰবৰ্গৰ পাপপ্ৰবৃত্তি তৃপ্ত নহল, সিবিলাকে সেই কুৰুকুলবধূক শাহু, শহুৰ, ৰৰজনা, আচাৰ্য্য, পুৰোহিত, প্ৰভৃতি গুৰুজন আৰু মান্যৱন্ত লোকৰ আগত পৰিধেয় বস্ত্ৰ হৰণ কৰি বিবস্ত্ৰা কৰি বং চাবলৈ অতি গৰ্হিত কাৰ্য্যত হাত দিছিল। তেতিয়া সেই পাশৱ কাৰ্য্যৰ বিৰুদ্ধে ধৰ্ম্মাত্মা বিদুৰ আৰু শামুকৰ সাহত মাণিকসদৃশ্ ধৃতৰাষ্ট্ৰৰ অন্যতম পুত্ৰ বিকৰ্ণত বাজে আন কেৱে একেষাৰ নামাতিলে! বুঢ়াৰজা ধৃতৰাষ্ট্ৰই জানি-শুনিও হকা-বধা নকৰিলে। আন কি, মহামতি ভীষ্মদেৱেও নিটাল মাৰিলে। হে সঞ্জয়! আপুনি এতিয়া নীতিৰাজ যুধিষ্ঠিৰক নীতিশিক্ষা দিবলৈ আহিছে, কিন্তু দ্ৰৌপদীৰ বস্ত্ৰহৰণ কাণ্ড আপুনি সাক্ষাৎ স্বচকুৰে চাই থাকিও দেখোন তাৰ কোনো প্ৰতিবাদ নকৰিলে?"[১]

শ্ৰীকৃষ্ণৰ যুক্তিপূৰ্ণ উক্তি শুনি সঞ্জয় জৰ্য্য পৰিল। তেওঁৰ মাত হেৰাল। উত্তৰ দিবলৈ ঠাই নাপাই তেওঁ তলমূৰকৈ নিটাল মাৰিলে। সিমানতে সঞ্জয়ক এৰি, শ্ৰীকৃষ্ণই পাণ্ডৱ-বৰ্গক লক্ষ্য কৰি কোৱাদি এই বুলি স্ব-অভিমত ব্যক্ত কৰিলে, "যাতে পাণ্ডৱ-পক্ষ ক্ষতিগ্ৰস্ত নহয়গৈ আৰু কৌৰৱ পক্ষও সংপ্ৰীতি সন্ধি সংস্থাপনত মান্তি হয়গৈ এতিয়া তাৰ নিমিত্তে যুগুত ব্যৱস্থাত ধৰা বিধেয়। তাকে কৰিব পাৰিলে এটি অতি বিশিষ্ট পুণ্যকৰ্ম্মৰ অনুষ্ঠান কৰা হয়, আৰু কৌৰৱগণেও মৃত্যুমুখৰপৰা মুক্তি পাব পাৰে। গতিকে, মই নিজে এবাৰ যত্ন কৰি চাব খোজোঁ। কুশস্থল, বৃকস্থল, মাকন্দী, বাৰণাৱত আৰু এখনৰে সৈতে পঞ্চপাণ্ডৱক পাঁচখন গাওঁ দিলেও হয়।[২] মোৰ প্ৰস্তাৱ গৃহীত হলে, মই সেই উদ্দেশ্যে হস্তিনাপুৰলৈ যাবলৈ সাজু আছোঁ।"[৩]

এই সযুক্তি মীমাংসাৰ পাচত, সঞ্জয়ে শ্ৰীকৃষ্ণ আৰু পাণ্ডৱসকলৰ ওচৰত বিনীতভাৱে বিদায় মাগিলে। সেই ছেগতে বাসুদেৱে উভয়তঃ এই কেই-আষাৰ কথাৰে সৈতে কৃষ্ণ-সঞ্জয়-সংবাদৰ সামৰণী মাৰিলে, "মই আশা কৰোঁ, কুৰু-পাণ্ডৱৰ মাজত যেন সংপ্ৰীতি সন্ধি সংস্থাপন হয়। কুৰু-পাঞ্চালৰ যেন পুনৰ্ম্মিলন সংগঠিত হয়। হে সঞ্জয়! মোৰ এতিয়া তুলাৰত দুভৰি,—মই সন্ধিৰ সপক্ষেও আছোঁ, যুদ্ধৰ নিমিত্তেও সাজু। মই সম্প্ৰতি সন্ধি আৰু যুদ্ধ দুই ভাবনাতে মজিব লগাত পৰিছোঁ।'[৪]

---

(১) ন্যায্যকথাত শ্ৰীকৃষ্ণই সততে মুখৰ আগতে মুখ খুলি কব পাৰে। আনে ভাল পাব, বা বেয়া পাব, কিম্বা লোকে তেওঁক শলাগিব বা নিন্দা কৰিব তালৈ তেওঁ কটাহি নকৰে। সঞ্জয়কৃত দোষাদোষ তেওঁৰ মুখৰ আগত ব্যক্ত কৰিবলৈ বাসুদেৱে অলপো সঙ্কোচ্ নকৰিলে, আন হাতে শ্ৰীকৃষ্ণৰ মুখৰপৰা ওলোৱা সেই সাধু ভাৱমূলক নিন্দা-বচনৰ ভৰত সঞ্জয় তলমূৰ হব লগাত পৰিল।

(২) মহাভাৰত, উদ্যোগপৰ্ব্ব, সঞ্জয়যান পৰ্ব্বাধ্যায়, ৩০ আধ্যা।

(৩) শ্ৰীকৃষ্ণক ইতিপূৰ্ব্বেই অৰ্জ্জুনে যুদ্ধলৈ সাৰথি বৰণ কৰি থৈছিল। সেই বৰণ কাৰ্য্যৰ পাচৰপৰা তেওঁ কৌৰৱৰ শত্ৰুপক্ষীয় লোক। গতিকে, চলত পালে শত্ৰুপক্ষে তেওঁৰ প্ৰতি যথেচ্ছাচাৰ কৰোঁ বুলিলে কৰিব পাৰে। এনেস্থলতো যে তেওঁ শত্ৰুসমাজৰমাজত আলোচনা আৰু তৰ্কবাদ কৰিবলৈ নিৰস্ত্ৰ হৈ যাবলৈ ওলাইছিল, সি কেৱল শ্ৰীকৃষ্ণৰ ধৰ্ম্মবল, সৎসাহ, দৈহিক আৰু নৈতিক বলৰ এটা ফট্‌ফটীয়া নিদৰ্শন।

(৪) মহাভাৰত, উদ্যোগপৰ্ব্ব, সঞ্জয়যান পৰ্ব্বাধ্যায়, ৩০ আধ্যা। ইমানতো কোনো-কোনোৱে কয় যে, কৃষ্ণ হে কুৰুক্ষেত্ৰ যুদ্ধৰ্ মূল, তেওঁৱেই হে যত্‌কুটৰ ঘাই। তেওঁৱেই কৌৰৱ পাণ্ডৱক লগাই-যুঁজাই মহাভাৰতৰ এই মহাৰণখন পতাই স্বাৰ্থসিদ্ধি কৰিছিল। যিবিলাকে শ্ৰীকৃষ্ণৰ বিষ্ণুত্ব বা ঈশ্বৰত্ব মানে, সিবিলাকৰ মাজতো কোনো-কোনোৰ এনেহে ধাৰণা যে, পাপক্ষয়ৰ হেতুকে নৰহত্যাৰ উদ্দেশে হে পৃথিবীত তেওঁৰ অৱতাৰ, সেই অৰ্থে তেওঁ নানা কু-চক্ৰ তৰি যুদ্ধ-বিগ্ৰহাদি ঘটাইছিল। যিবিলাকৰ জ্ঞান-বিবেচনাত এনেকুৱা কু-সংস্কাৰ বৰ্ত্তমান, সিবিলাকৰ অন্তৰত কৃষ্ণধৰ্ম্ম, কৃষ্ণকৰ্ম্ম, কৃষ্ণৰাজনীতি, কৃষ্ণৰ অহিংসা-পদ্ধতি অৱশ্যে বোধগম্য হোৱা নাই।

চত্বাৰিংশ আধ্যা

(কুৰুক্ষেত্ৰৰণৰ পূৰ্ব্বৰাগ)

কৃষ্ণ-পাণ্ডৱ-পাণ্ডৱকুলবীৰ মন্ত্ৰণা *

সঞ্জয়-বিদায়ৰ পাচত, যথাসময়ত যাদৱ আৰু পাণ্ডৱ পৰিয়ালৰ মাজত ভিতৰুৱাকৈ কুৰুক্ষেত্ৰ ৰণ সংক্ৰান্ত মন্ত্ৰণা আৰম্ভ হয়। সেই মন্ত্ৰণা উপপ্লৱ্যত(১) পাণ্ডৱ-পাঞ্চাল শিবিৰত হৈছিল। উপপ্লৱ্যৰ মনোৰম আৰু বিস্তৃত চাপৰি জুৰি পাণ্ডৱ পাঞ্চাল শিবিৰ পৰিপাটিকৈ প্ৰতিষ্ঠিত। চকুৰে মণিব পৰালৈকে ধৱল বৰণীয়া টাম্বু মন্দিৰ শাৰী-শাৰীকৈ সুশোভিত!—নিলগৰপৰা এনেহে লাগি যায়, যেন সুনীল সৰোবৰ জুৰি শাৰী-শাৰী হৈ বগ বগলীবৃন্দে মিলি কেলি হে কৰিছে। পাঞ্চাল আৰু পাণ্ডৱৰ মিত্ৰ আৰু শৰণীয়া ৰাজন্যবৰ্গৰ ৰাশি ৰাশি সৈন্য সামন্ত শাৰী শাৰীকৈ থিতাপিত হৈছেগৈ, শিবিৰ-টোলৰ আশে পাশে আৰু মাজে কাষৰে হাতী, ঘোঁৰা, ৰথ ভাগে ভাগে সজাই থোৱা হৈছে, কেন্দ্ৰ শিবিৰৰ চতুঃপাশে সমবেত সৈন্য সামন্তৰে সৈতে পৰিবেষ্টিত হৈ পাঞ্চাল যোদ্ধাসকলে আথৰা দিব লাগিছে। তাৰো মাজত, সেই কেন্দ্ৰীয়া শিবিৰৰ কেন্দ্ৰ স্থলত পাণ্ডৱৰ ভিতৰুৱা শিবিৰ সুপ্ৰতিষ্ঠিত। সেই অভেদ্য কেন্দ্ৰৰ ভিতৰত কৃষ্ণ-পাণ্ডৱৰ এই ভিতৰ বিশ্বাসৰ মন্ত্ৰণা।

ইতিপূৰ্ব্বৰ প্ৰতিশ্ৰুতি অনুসৰি সন্ধি-সংস্থাপনৰ প্ৰস্তাব লৈ, শ্ৰীকৃষ্ণ হস্তিনাপুৰলৈ যাবলৈ ওলাল। কিন্তু, যুদ্ধৰ আয়োজন হৈ যোৱাৰ পাচত, পাণ্ডৱ-নেতা বাসুদেৱক বিপক্ষৰ নগৰলৈ যাবলৈ পাণ্ডৱসকলৰ মত নাযায়। শ্ৰীকৃষ্ণ শত্ৰুৰ নগৰপ্ৰৱেশলৈ অগ্ৰসৰ হোৱা দেখি ধৰ্ম্মযুধিষ্ঠিৰৰ কোমল অন্তৰে কান্দিবলৈ ধৰিলে। তেওঁ অতিশয় আতুৰ ভাৱে অন্তৰৰ ব্যথা এই বুলি ব্যক্ত কৰিলে, "হে কৃষ্ণ! তোমাক শত্ৰুৰ ৰাজধানীলৈ পঠিয়াবলৈ মোৰ প্ৰাণে নসয়, দুয়োপক্ষৰ ৰণ আয়োজন প্ৰকাশ্যে হৈ উঠাৰ পাচত, মই তোমাক দুৰন্ত কৌৰৱৰ মাজলৈ অকলশৰে নিৰস্ত্ৰ হৈ যাবলৈ দিব নোৱাৰোঁ। তোমাৰ যুক্তিপূৰ্ণ উপদেশলৈ দুষ্ট দুৰ্য্যোধনে কাণ নিদিয়ে; তোমাৰ মৌ-সনা কথাই স্বাৰ্থান্ধ কৌৰৱক পমাব নোৱাৰে। এইটো মোৰ দৃঢবিশ্বাস। এতেকে তুমি কৌৰৱ নগৰলৈ যাব নালাগে।" সেই কথাত শ্ৰীকৃষ্ণদেৱে এটি সৰল মিচিকিয়া হাঁহি মাৰি এই বুলি উলটি ধৰ্ম্ম-যুধিষ্ঠিৰক বুজনি দিলে, "হে ৰাজন! মই কৌৰৱচৰিত্ৰ ভালকৈ জানোঁ। এতেকে, আপুনি মোৰ কাৰণে চিন্তিত হ'ব নালাগে, মাথোন "য'তে ধৰ্ম্ম ত'তে জয়:" এই নীতি বাক্যৰ মৰ্ম্ম মনত ৰাখিব। কৌৰৱে মোৰ সন্ধি-প্ৰস্তাৱ গ্ৰহণ নকৰিব পাৰে, তথাপি আমাৰ পক্ষৰপৰা শেহবাৰৰ নিমিত্তে সেই প্ৰস্তাৱ আগ বঢোৱাৰপৰা বিশেষ লাভ আছে, তেতিয়া আৰু আমাক আগন্তুক বংশদ্ৰোহী ৰণৰ প্ৰত্যবায়ে নাপাব।" যুধিষ্ঠিৰে আগত্যা সন্দিগ্ধচিত্তেৰে এই বুলি সমিধান দিলে, "নিতান্ততে যাবাই যদি, হে কৃষ্ণ! হকা বধা নকৰোঁ, যোৱা, কৃতকাৰ্য্য হৈ নিৰ্ব্বিঘ্নে উলটি আহাগৈ। তোমাক নো কি জ্ঞান দিম, তুমি স্বয়ং জ্ঞানৰ আধাৰ। তুমি কৌৰৱ আৰু পাণ্ডৱক যেনেকৈ জানা, আন কোনেও তেনেকৈ নাজানে। তুমি উভয়ৰে বান্ধৱ বুলি জগতে জানে। এতেকে, যোৱা, পাৰ্য্যমানে এনে ভাৱে সন্ধি সংস্থাপন কৰিবাগৈ, যাতে শেষ ফলত কৌৰৱ পাণ্ডৱৰ মিলা প্ৰীতি আৰু সুখ শান্তিত দিন যায়।"

তাৰ পাচত, ধৰ্ম্ম যুধিষ্ঠিৰক ধৰ্ম্ম যুক্তি স্মৰণ-কৰোৱাৰ ছেগতে শ্ৰীকৃষ্ণদেৱে এই বুলি গোটাদিয়েক জ্ঞানগৰ্ভ মন্তব্য ব্যক্ত কৰিলে, হে মহাৰাজ! চিৰব্ৰহ্মচৰ্য্য ব্ৰত ক্ষত্ৰিয় যোদ্ধাৰ পক্ষে গ্ৰহণীয় নহয়। ক্ষত্ৰিয় বীৰলৈ মগনিয়াৰৰ বৃত্তি শোভনীয় হব নোৱাৰে। হয় জয়, নহয় মৃত্যু, এই দুই পন্থা মাথোন পৰমপিতা সৃষ্টিকৰ্ত্তা পৰমেশ্বৰে ক্ষত্ৰিয় যোদ্ধালৈ নিৰ্দ্ধাৰিত কৰিছে। গতিকে, আপুনি অতি-পাতকৈ সেও হৈ নপৰিব। কিন্তু, হে মহাৰাজ! শত্ৰুক জিনি প্ৰতিপত্তি লাভ কৰি উঠিবলৈ হে আপুনি সততে

---

* মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদযান পৰ্ব্বাধ্যায়, ৭১—৮২ আধ্যা।

(১) কুৰুক্ষেত্ৰৰ এদাঁতিয়ে উপপ্লৱ্য নামে এটি অতি মনোৰম চপৰিত পাণ্ডৱ-পাঞ্চাল শিবিৰ শ্ৰীকৃষ্ণৰ দিহামতে ৰচিত হয়।

সষ্টম হোৱা বাঞ্ছনীয়। আপুনি এতিয়া স্বয়ং গা দি আপোনাৰ সৈন্য সমষ্টি আৰু সেনাপতিসকলক উৎসাহ আৰু উদ্‌গনি দিবলৈ তৎপৰ হোৱা হে উচিত। হে ৰাজন! আপুনি ইফালে আপোনাৰ সমস্ত সৈন্য-সামন্ত গোটাই লৈ ৰণৰ অৰ্থে সষ্টম হৈ থাওক, মই সেই ছেগতে সিফালে শত্ৰু-পক্ষৰ আয়োজন আৰু ৰণ-প্ৰকৰণাদিৰ আলেখ-লেখ বুজি আহোঁগৈ। সন্ধি ঘটাবগৈ পাৰোঁ যদি ভালেই, নোৱাৰিলেও মই যোৱাৰ গুণ নধৰাকৈ নাথাকে। হে ধৰ্ম্মৰাজ! আপুনি ক্ষত্ৰিয় সন্তান হৈ শত্ৰুবিনাশত বিমুখ হলে, আপোনাৰ নাম-ধৰ্ম্ম ৰক্ষা নপৰে। এতেকে, যথাৰ্থ বল-বিক্ৰম প্ৰয়োগ কৰি, আগন্তুক সমুখ-সংগ্ৰামত শত্ৰুক নিপাত কৰিবলৈ আপুনি লেশমাত্ৰও উদাসীন নহব।"[১]

তাৰ পাচত, শ্ৰীকৃষ্ণদেৱে জিজ্ঞাসু দৃষ্টিৰে ভীমসেনৰ ফালে চোৱাত, তেওঁ এই বুলি স্ব-অভিমৰ্ত ব্যক্ত কৰিলে— "হে কৃষ্ণ! হস্তিনাত গৈ তুমি এনেভাৱে আলোচনা কৰিবাঁগৈ যাতে কুৰুকুলৰ মাজত সন্ধি সংস্থাপন হয়। ৰণৰ আগন্তুক দেখুৱাই সিবিলাকক ভয় সুখুৱাবাঁ। অহঙ্কাৰী দুৰ্য্যোধনক মিঠামুখে হে সৈমান কৰাবলৈ চাব লাগে। হে বাসুদেৱ! লাগে যদি, আমি দুৰ্য্যোধনৰ অধীন হৈয়ে চলিম, তথাপি আত্মকন্দলৰ ফলত কুৰুকুল ধ্বংস হব নালাগে। এয়ে মোৰ অগ্ৰজৰাজ যুধিষ্ঠিৰ আৰু অনুজ অৰ্জ্জুনৰো সৰল বাঞ্ছা।" শ্ৰীকৃষ্ণদেৱে এটি মিচিকিয়া হাঁহি মাৰি তৰ্কছলত এই বুলি উত্তৰ কাটিলে, "হে বীৰবাহু বৃকোদৰ! তোমাৰ মুখৰপৰা এনে সেও ভাৱৰ কথা শুনি মই বাস্তৱতে বৰ বিস্ময় মানিছোঁ। সন্ধিসংস্থাপনেই সবাৰো বাঞ্ছা। সেই বাঞ্ছা কাৰ্য্যত ফলিয়াবগৈ পাৰোঁ নে নোৱাৰোঁ তাকে চাবলৈ হে বিপক্ষৰ নগৰত নিৰস্ত্ৰ হৈ সোমাওঁগৈ বুলি ওলাইছোঁ। সেই অৰ্থে মোৰ যত্ন লেশমাত্ৰও ক্ৰুটী নহব। কিন্তু, তোমাৰ ভীম-প্ৰতিজ্ঞা পাহৰিছা দেখোন? ভাগ্যে যদি সন্ধিসংস্থাপন হৈ উঠে, তেন্তেচোন 'দুৰ্য্যোধনৰ উৰুভঙ্গ' 'দুঃশাসনৰ ৰক্তপান' আৰু পাণ্ডৱবধূৰবী দ্ৰৌপদীক অপদস্থ কৰোঁতা অন্যান্যবিলাকক প্ৰতিশোধ দিয়া তোমাৰ প্ৰতিজ্ঞা ৰক্ষা নপৰেগৈ একা?" ভীম-প্ৰতিজ্ঞা সুমৰণে ভীমক নিমিষতে ভয়ঙ্কৰ কৰি তুলিলে! কিন্তু বাক্‌কৌশলী শ্ৰীকৃষ্ণই ভীমসেনৰ নাড়ি টিপি হে চাইছিল, তেওঁ ততালিকে এই বুলি আকৌ তেওঁক শাঁত লগাই থলে, "হে জৰাসন্ধহন্তা বীৰবাহু বৃকোদৰ! তোমাৰ বলবিক্ৰমৰ কথা জগতে জানে, মই মাথোন এই ছেগত তোমাৰ মন জুখি হে চাইছিলোঁ।"[২]

ভীমক এৰি বাসুদেৱে অৰ্জ্জুনৰ অভিমত আহ্বান কৰিলে। অৰ্জ্জুনে এইবুলি তেওঁৰ মন্তব্য প্ৰকাশ কৰিলে, "হে সখি! তোমাৰ হস্তিনাযাত্ৰা প্ৰসঙ্গত যি কব লাগে অগ্ৰজদ্বয়েই সকলো কৈছে। কিন্তু অগ্ৰজদ্বয়ৰ ওচৰত তুমি প্ৰকাশ কৰা ভাব-গতিলৈ চাই সন্ধি-সংস্থাপন মোৰ মনেৰে সম্ভৱপৰ যেন দেখা নাই। তথাপি, কৌৰৱ কৌৰৱসকলৰ লগত এনে ভাৱে আচৰণ কৰিবাঁগৈ যাতে যি-কোনো-উপায়েৰে-হওক সংপ্ৰীতি-সন্ধি সংস্থাপিত হয়। কৌৰৱ-পাণ্ডৱৰ হিতাৰ্থে তুমি যি কৰিবাঁগৈ তাতে আমি সকলো সন্মত হম। যিহেতু, প্ৰজাপতি যিৰূপ সুৰ আৰু অসুৰ উভয়পক্ষৰ সুহৃৎ, তুমিও তদ্ৰূপ কৌৰৱ-পাণ্ডৱ উভয়পক্ষৰে পৰম মিত্ৰ।"[৩]

অৰ্জ্জুনৰ উত্তৰৰ প্ৰত্যুত্তৰত ৺কৃষ্ণদেৱে এইবুলি কৈ সামৰি থলে, "হে অৰ্জ্জুন! যথোচিতকৈ মাটি চহাই শস্য সিচিলেও বিনাবৰষুণে সি নগজে।[৪] পুৰুষে পুৰুষাৰ্থ কৰি কৃত্ৰিম কৌশলেৰে পানীৰ যোগান দিলেও, দৈব-দুৰ্ব্বিপাকত সি শুকাই নিষ্ফল হব পাৰে। গতিকে, দৈব আৰু মানৱ পুৰুষাৰ্থ লগ নালাগিলে কাৰ্য্যসিদ্ধি নহয় বুলি পূৰ্ব্ববৰ্ত্তী মহাত্মাসকলে মন্তব্য থৈ গৈছে। মই মাথোন

(১) গীতাতো শ্ৰীকৃষ্ণদেৱে এই মৰ্ম্মেৰেই অৰ্জ্জুনক উপদেশ দিছিল।

(২) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৭৪-৭৬ আধ্যা।

(৩) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৭৭ আধ্যা।

(৪) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৭৮ আধ্যা।

যথাসাধ্য পুৰুষৰ পুৰুষাৰ্থ কৰি চাবগৈ পাৰোঁ, কিন্তু দৈব কৰ্ম্মৰ অনুষ্ঠানত মোৰ সমূলি হাত নাই।”[১]

অৰ্জ্জুনৰ অনুজ ৰণপিপাসু মহাতেজী মাদ্ৰীনন্দন নকুলদেৱে এইবুলি মন্তব্য ব্যক্ত কৰিলে, “হে প্ৰভো! অগ্ৰজৰাজ ধৰ্মাত্মাই দিয়া মন্তব্য আপুনি অৱশ্যে মনত ৰাখিছে; তেওঁ কেৱল এদনীয়া ধৰ্ম্মলৈহে লক্ষ্য ৰাখে। অগ্ৰজযুগল ভীমাৰ্জ্জুনে সন্ধিৰ সপক্ষে যি অভিমত দিছে, তাকো আপুনি জুকিয়াই লৈছে। কিন্তু মই কওঁ, সেইবোৰ আপুনি আছাৰি পেলাওক, আপুনি নিজে নিজ জ্ঞান-বুদ্ধিৰে যি যুগুত বিবেচনা কৰিব তাকেহে কৰেগৈ যেন।”[২]

সদৌশেহত সৰ্ব্বকনিষ্ঠ পাণ্ডৱ সহদেৱে এই বুলি মন্তব্য ব্যক্ত কৰিলে, “কিন্তু, হে যাদৱশ্ৰেষ্ঠ! যাতে যুদ্ধ সংঘটন হয়, আপুনি তাৰ হে যুগুত পৰামৰ্শ দিয়কগৈ। কৌৰৱে সন্ধি যাচ্ঞা কৰিলেও, আপুনি সিবিলাকক ৰণলৈ উদগাবলৈ হে চাব। যি দুৰাচাৰ দুৰ্য্যোধনে পাশৱ আচৰণেৰে নিৰপৰাধিনী পাঞ্চালী কৃষ্ণাক ৰাজসভাত অকথ্য লাঞ্ছনা ভুঞ্জালেগৈ, হে প্ৰভো! সেই দুৰ্য্যোধন, সেই দুঃশাসনক বধ নকৰিলে মোৰ অন্তৰ শাঁত হব কেনেকৈ?”[৩]

সহদেৱক সতেজ সমৰ্থন কৰি শ্ৰীকৃষ্ণৰ সেনাপতি মহাবীৰ সাত্যকিয়ে এইবুলি উপযাচি তেওঁৰ মন্তব্য যোগ দিলে, “সহদেৱে সত্য কথা কৈছে; দুৰ্য্যোধনক বধ নকৰিলে আমাৰ অন্তৰ শাঁত নহয়। আমি সদৌ সমবেত যোদ্ধাৰ মনোভাব তেওঁৰ মন্তব্যত প্ৰতিধ্বনিত হৈছে।” সাত্যকিৰ উক্তিৰ সমৰ্থনত পাঞ্চাল-পাণ্ডৱ শিবিৰ প্ৰতিধ্বনিত কৰি সমবেত সপ্ত অক্ষৌহিণী সৈন্য-সমষ্টিৰ উলাহৰ চাপৰিয়ে শিবিৰ-টোলত তল-ওপৰ লগালে।[৪]

এনেতে, এনে মঙ্গলসূচক উলাহৰ ঢৌত পিচলৈ ৰাজলক্ষ্মীৰ আঁচল ঢৌৱাই সুগমনী ৰাজহংসীগতিৰে পাণ্ডৱপটেশ্বৰী কৃষ্ণা-দ্ৰৌপদীদেৱীয়ে উত্ৰাৱলচিত্তেৰে আহি শ্ৰীকৃষ্ণৰ কাষ চাপি এই বুলি অভিমানপূৰ্ণ মনস্তাপ সকাতৰে ব্যক্ত কৰিলেহি,—“হে মাধৱ! সন্ধিসংস্থাপনেই হওক, বা শৰণাগতেই হওক, কোনোটোতে আমাৰ উদ্দেশ্য সিদ্ধি নহয়। দুৰ্ম্মতি দুৰ্য্যোধনে সন্ধি বিচাৰে, কিন্তু অপহৃত ৰাজ্য ঘূৰাই নিদিয়ে। আন কি, পাঁচপাণ্ডৱক পাঁচখন গাওঁ দিবলৈকো সেই আক্ৰোহী পাপাত্মা মান্তি নহয়। তাৰোপৰি, দুৰাত্মা দুৰ্য্যোধনকৃত বিগত লাঞ্ছনাৰ কথা আমি অকণো পাহৰিব পৰা নাই। এতেকে, সেই দুৰ্ম্মতি ক্ষমাৰ পাত্ৰও নহয়। হে যাদৱ! এইটোচোন আপোনাৰেই যুক্তি যে, অবধ্যজনক বধ কৰিলে যি পাপ হয়, বধ্যজনক নবধিলেও সেই পাপ হয়।[৫] দুৰ্য্যোধন আৰু তাৰ অনুগামীদল সিহঁতৰ পাশৱ আচৰণৰ বাবে অৱশ্যে বধ্য; তেনেকুৱা বধ্যজনক বধিবলৈ ৰণ নাপাতি, সন্ধি পাতিলে আপুনি সমন্বিতে আমাকো পাপে চুব আৰু সেই পাপে কৌৰৱ আৰু পাঞ্চালকো পাবগৈ। মই মহাপৰাক্ৰমী দ্ৰুপদ ৰজাৰ জীয়াৰী, মই মহাবীৰ ধৃষ্টদ্যুম্নৰ কনিষ্ঠা, মই পুণ্যাত্মা পাণ্ডুৰাজৰ বোৱাৰী; মইচক্ৰবৰ্ত্তী ৰজা ধৰ্ম্ম-যুধিষ্ঠিৰৰ পত্নী-কুঁৱৰী; —হে বাসুদেৱ, মই আপোনাৰ প্ৰিয়সখি পাৰ্থবীৰৰ ভাৰ্য্যা। যি কুৰুৰাজ-সভাত এই কুলনাৰী অমানুষিকভাৱে লাঞ্ছিত, সেই ৰাজসভা ৰাজসভা হৈয়ে ৰব লাগিলে পৃথিবীত মানৱ-মৰ্যাদা ৰক্ষা পৰিব ক'ত?—ধিক্ ভীমৰ বাহুবল! ধিক্ অৰ্জ্জুনৰ ধনুৰ্ব্বল!! ধিক্ পাণ্ডৱ-পাঞ্চালৰ প্ৰখ্যাত নাম!!! দুৰ্য্যোধন আজিও জীয়াই আছে! হে

(১) মানৱিকতাত হে যে শ্ৰীকৃষ্ণৰ অধিকাৰ সেইটো তেওঁ ছেগবুজি অনেক প্ৰসঙ্গত বুজাই আহিছে। গীতাতো এনে উক্তিৰ অভাৱ নাই। বৃন্দাবনৰ কৃষ্ণত যি অলৌকিকতা আৰোপ কৰা হৈছে, তাত তেওঁ বিৰাগ আৰু বিৰক্তি প্ৰকাশ কৰাৰ কথা ওপৰত যথাঠাইত কৈ অহা হৈছে।

(২) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৭৯ আধ্যা।

(৩) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৮০ আধ্যা।

(৪) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৮০ আধ্যা।

(৫) এই যুক্তি ইয়াৰ আগেয়ে শ্ৰীকৃষ্ণই কেইবাটাও প্ৰসঙ্গত প্ৰয়োগ কৰিছিল; তাৰ ভিতৰত ‘কংসবধ,’ ‘জৰাসন্ধ বধ’, ‘শিশুপাল বধ’ এইবিলাক প্ৰসঙ্গ প্ৰধান।

জনাৰ্দ্দন! এই অভাগিনী যদি আপোনাৰ কৃপাসিন্ধুৰ এফোঁটা কৰুণাৰো পাত্ৰী হওঁ, তেন্তে, হে কৃষ্ণ! আগন্তুক ৰণ-আয়োজনত ঘৃতাহুতি দি অতি সত্বৰে ধৃতৰাষ্ট্ৰ অন্ধৰাজৰ কুলাঙ্গাৰ পুত্ৰগণ-বধৰ সুবিধান কৰকগৈ।"[১]

কুৰুকুল-বোৱাৰী পাণ্ডৱ-কুঁৱৰী দ্ৰৌপদী দেৱীৰ ওজস্বিনী বাক্য শুনি পাঞ্চালৰাজ দ্ৰুপদ, ধৰ্ম্মৰাজ যুধিষ্ঠিৰ, ভীম আৰু অৰ্জ্জুন জঁয় পৰিল! ধৃষ্টদ্যুম্ন, নকুল, সহদেৱ আৰু সাত্যকি গুপ্তসিংহই পাৰ পাই উঠাৰ দৰে উত্তেজিত হৈ উঠিল। আন কি, স্বয়ং শ্ৰীকৃষ্ণয়ো টলিবলৈ ধৰিলে। ইতিছেগত, পদ্মনয়নী পৰমাসুন্দৰী দ্ৰুপদনন্দিনী কৃষ্ণ-আৰাধিকা পাণ্ডৱ-পত্নী কৃষ্ণা-দ্ৰৌপদীয়ে তেওঁৰ ভোমোৰাকলিয়া সৰ্ব্বসুলক্ষণীয়া বাসুকিপুচ্ছযেন মুকলি কেঁকুৰি কেশৰ বাওঁফালৰ একুচি বাওঁহাতৰ কৃষ্ণপিঠীয়া ৰাতুল বুকুৱা হেঙ্গুলীয়া পাঁজিযেন চাৰি-আঙুলিৰে ধৰি চল্‌চলীয়া চকুৰে অতি বিষাদিনী মূৰ্ত্তিৰে পুনৰপি শ্ৰীকৃষ্ণক উদ্দেশি এই বুলি কাতৰুক্তি কৰিলে, "হে জনাৰ্দ্দন! এইকোচা কেশতে ধৰি দুৰাত্মা দুঃশাসন বাঘে এই অভাগিনীক অনাথিনীৰ দৰে চোঁচোৰাই নি কুৰুৰাজসভাত থিয় কৰাই একবস্ত্ৰা অৱস্থাত বিবস্ত্ৰা কৰাৰ অতি নিন্দনীয় আৰু ঘৃণনীয় উদ্দেশে বস্ত্ৰহৰণ কৰিবলৈ ধৰিছিল। সেই কুৰুৰাজসভাত গৈ প্ৰস্তাবিত সন্ধি সংস্থাপনৰ আলোচনা কৰোঁতে মোৰ এই কলুষিত কেশ-কোঁচালৈ এবাৰ আপোনাৰ মনত পৰে যেন। ভীমাৰ্জ্জুন অক্ষত্ৰিয় কাপুৰুষৰ দৰে ৰণলৈ ভয় কৰি সন্ধিস্থাপনৰ প্ৰস্তাৱ সমৰ্থন কৰিছে; কৰোক, মোৰ সেই আপোন পাহৰা স্বামীদ্বয়ে নতশিৰে সন্ধি প্ৰাৰ্থনা কৰোক, তাত এই সিংহী-জীয়াৰী, সিংহী-বোৱাৰী, সিংহী-পত্নী, সিংহী-জননী কৃষ্ণ-আৰাধিকা দ্ৰৌপদী অৱলাই নডৰাওঁ—হতাশ নহওঁ। মই লেশমানো হতাশ নহওঁ। মোৰ বৃদ্ধ পিতৃয়ে ৰণক্ষেত্ৰত মোৰ হৈ অস্ত্ৰ ধাৰণ কৰিবগৈ; মোৰ মহাৰথ বীৰবাহু অগ্ৰজ ধৃষ্টদ্যুম্নই পাঞ্চাল সৈন্যৰ সেনাপতি হৈ শত্ৰুক আক্ৰমণ কৰিবগৈ; মোৰ পঞ্চপুত্ৰই পাঁচ সেনাপতিৰ বাব লৈ, মোৰ অন্যতম বীৰপুত্ৰ সুভদ্ৰানন্দন অভিমন্যুক ঘাই সেনাপতি বৰণ কৰি লৈ, কৌৰৱৰ লগত সমুখ-সংগ্ৰাম পাতিবগৈ; মোৰ অন্যান্যতম পুত্ৰ হিড়িম্বানন্দন মহাৰথ ঘটোৎকচে আকাশীৰণেৰে কৌৰৱ সেনা সমূলঞ্চে নিপাত কৰিব। মোৰ সম্পূৰ্ণ বিশ্বাস, আগন্তুক কুৰুক্ষেত্ৰ-ৰণত আমাৰ জয় অনিবাৰ্য্য। তাৰ ফলত, সেই পাপাত্মা দুৰ্য্যোধনৰ উৰুভঙ্গ আৰু দুৰাত্মা দুঃশাসনৰ বাহুছেদন এই দুনয়নেৰে আনন্দাশ্ৰু মচি মচি চাবলৈ পাম বুলি হিয়াভৰা আশা মোৰ অন্তৰত সতেজ হৈ ৰৈছে। ভীমৰ অসাৰ প্ৰতিজ্ঞাত সাৰ মানি আজি চৈধ্য বছৰ সহি অহা যি প্ৰতিশোধৰ আশা সেই ভীমমুখেৰেই তেওঁ মাৰ নিওৱাৰ অপ্ৰিয় আভাস দিছে, মোৰ পিতৃকুলৰ মহাৰথগণ আৰু পতিকুলৰ অঙ্গজ বীৰপুত্ৰগণৰ বীৰত্বে মোৰ সেই বাঞ্ছা নিশ্চয় অচিৰে ফলৱতী কৰিব।"[২]

বীৰকন্যা, বীৰবধূ, বীৰপত্নী, বীৰজননী, বীৰাঙ্গনা, মহাতেজা পাণ্ডৱ-কুঁৱৰী কৃষ্ণ দ্ৰৌপদীৰ ওজস্বিনী বচনে পাণ্ডৱ পাঞ্চাল শিবিৰৰ বিশাল পৰিধি বিয়পি পৰি সুসজ্জিত সৈন্য-সামন্ত-সেনাপতি সদৌ পাণ্ডৱ-পাঞ্চাল পক্ষীয় বীৰ-বৃন্দক ৰণোন্মত্ত কৰি তুলিলে, সমবেত সপ্ত-অক্ষৌহিণী সেনানীয়ে ৰণসাজযুত ফাঁকৰপৰা সূৰ্য্যৰশ্মিৰত চক্‌মকীয়া তৰোৱাল উলিয়াই তুলি বুকু ফিন্দাই জাউৰি-জাউৰিকৈ জয়ধ্বনি উচ্চাৰিবলৈ ধৰিলে, সেই গগনভেদী ৰণোল্লাহৰ ধ্বনিয়ে উপপ্লব্যত উপচি পৰি বিশাল কুৰুক্ষেত্ৰ পাৰ হৈ হস্তিনাপুৰত প্ৰতিধ্বনি তুলিলেগৈ। পাণ্ডৱ শিবিৰত আৰু নগৰত কৌৰৱৰ প্ৰত্যেক যোদ্ধাৰ সিৰে-সিৰে ৰণতেজ বৰলৈ ধৰিলে। সেই উত্তেজনাত চতুৰ্গুণে উত্তেজিত হৈ আদৰ্শ বীৰৰমণী প্ৰশান্ত-হৃদয়া সুঠামনিতম্বিনী পদ্মনয়নী কৃষ্ণা-দ্ৰৌপদীৰ সমস্ত শৰীৰ ৰণোল্লাহত উলাহিত হৈ কঁপিবলৈ ধৰিলে! সেই মহোল্লাসত উপচিপৰা পৱিত্ৰ আনন্দাশ্ৰুধাৰে সেই বীৰনাৰী, বীৰজায়া, বীৰজননীৰ সুমেৰু-কুমেৰু সদৃশ সমুন্নত শ্যামাঙ্গী অচলৰত স্তনযুগলৰ

---

(১) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৮১ আধ্যা।

(২) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৮১ আধ্যা।

হিমশ্বেত আৱৰণী আচলাংশ স্নিগ্ধসিক্ত কৰি তাত মুনি-মনোলোভা জেউতি চৰাই মন্দাকিনীৰ গতিৰে ববলৈ ধৰিলে!

এনে অৱস্থাত, সুগহীন পাণ্ডৱ শিবিৰ কম্পমান্ হৈ উঠাত, সাগৰযেন গম্ভীৰ প্ৰকৃতি মতিমান্ শ্ৰীকৃষ্ণদেৱে সুস্থিৰ সুৰেৰে এই বুলি দ্ৰৌপদী দেৱীক সান্ত্বনা দিবলৈ ধৰিলে, "হে কৃষ্ণা! ধৈৰ্য্য ধৰি ক্ষন্তেক স্থিৰ হোৱাঁ। মই ভৱিষ্যত চিন্তা কৰি কৈছোঁ, অচিৰে তোমাৰ মনোবাঞ্ছা পূৰ্ণ হব। তুমি এতিয়া যেনেকৈ বিলাপ কৰিছাঁ, কৌৰৱ কুলনাৰীগণে তেনেকৈ বিলাপ কৰা অনতিপলমে দেখিবলৈ পাবাঁ।[১] মোৰ সন্ধি-প্ৰস্তাবত অনাদৰ দেখুৱালে মই, ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ অনুজ্ঞা অনুসৰি, ভীমাৰ্জ্জুন, নকুল-সহদেৱ আৰু পাঞ্চাল বীৰসকলৰ দ্বাৰাই ধৃতৰাষ্ট্ৰৰ দুৰাচাৰ পুত্ৰবৰ্গক অচিৰে নিধন কৰাই তোমাৰ প্ৰাণত শান্তি দিয়াম। ইয়াৰ অন্যথা নহয়। যদি হিমাচলো লৰে, মোৰ বচন নলৰে। হে কৃষ্ণা! তুমি শাঁত হোৱাঁ। তুমি অচিৰে তোমাৰ স্বামীসকলক শত্ৰুঞ্জয় হোৱা দেখিবলৈ পাবাঁ, অচিৰতে পাণ্ডৱে পূৰ্ব্বপ্ৰতিপত্তিলাভ কৰা দেখিবাঁ! এতিয়া বিদায় হে মাগিলোঁ; যাওঁ, হস্তিনা-যাত্ৰালৈ সষ্টম হওঁগে।"[২]

একচত্বাৰিংশ আধ্যা

শ্ৰীকৃষ্ণৰ হস্তিনা-যাত্ৰা

কাতিমাহৰ ৰেৱতী-নক্ষত্ৰযুক্ত মৈত্ৰক্ষণত যথাবিধি স্নান আৰু প্ৰাতঃকৃত্য সমাপন কৰি, বিশুদ্ধচিতেৰে ব্ৰাহ্মণসকলৰ মঙ্গলাচৰণ আৰু ঋষিসকলৰ শৈস্ততি শ্ৰৱণ কৰি, চন্দ্ৰ-সূৰ্য্যৰ উপাসনা কৰি উঠি, বহুমূলীয়া ৰত্নালঙ্কাৰেৰে বিভূষিত আৰু বিতোপনীয়া সাজ-পাৰেৰে সুসজ্জিত হৈ সিদ্ধিসূচক কল্যাণকৰ সামগ্ৰী সন্দৰ্শন, অগ্নি-প্ৰদক্ষিণ, সমবেত ধৰ্ম্মাত্মা-সকলক অভিবাদন আৰু বৃষনেগুৰ স্পৰ্শ কৰি, পৰমানন্দে পৰমানন্দ শ্ৰীকৃষ্ণদেৱে কৌৰৱ ৰাজধানী হস্তিনাপুৰলৈ শুদ্ধ-শুভকামনাৰে শুভযাত্ৰা কৰিলে।[৩]

যাত্ৰাৰ পূৰ্ব্বক্ষণত নানা অপায়-অমঙ্গলৰ আশঙ্কাত স্থিৰমতি যুধিষ্ঠিৰ অস্থিৰ হৈ পৰিল। সদৌশেহত, অগত্যা দহজন শত্ৰুসৈন্যনাশক শস্ত্ৰপাণি মহাবলপৰাক্ৰান্ত মহাৰথ, সহস্ৰ পদাতি, সহস্ৰ অশ্বাৰোহী, শ-শ কিঙ্কৰ গা-চোৰাৰূপে লগত দি, অগ্ৰজপ্ৰতিম করুণপ্ৰাণ ধৰ্ম্ম-যুধিষ্ঠিৰে চিন্তাযুত-চিতেৰে অনুজসম ভগবান বাসুদেৱক বিদায় দিলে। সেই অৰ্থে, মহাৰাজ যুধিষ্ঠিৰৰ অনুজ্ঞা অনুসৰি, কৃষ্ণ-সেনাপতি সাত্যকিয়ে শ্ৰীকৃষ্ণৰ শঙ্খ-চক্ৰ-সাৰঙ্গ-ধনু সমন্বিতে আক্ৰমণ আৰু আত্মৰক্ষাৰ উপযোগীকৈ যুদ্ধৰ আহিলা-পাতি যুগুত কৰি লৈ, শ্ৰীকৃষ্ণৰ বাৰেঁ ৰথত চৰিল। যথাসময়ত পাণ্ডৱ-বান্ধৱ বাসুদেৱৰ হৈ প্ৰাণ দিব পৰা দহজন বছা-বছা সেনাপতি সসৈন্যে কৃষ্ণৰথৰ পিচ লাগিল। আগত এহেজাৰ অশ্বাৰোহী আৰু পিচত এহেজাৰ পদাতিক সৈন্য আগা-পিচাকৈ যাদৱ-ৰথৰথীয়া হৈ চলিল। আৰু, তাৰো পিচত, এহেজাৰ সশস্ত্ৰ ভাৰীয়ে হাতী, ঘোঁৰা, বৃষভাদি বাহনেৰে পাণ্ডৱ-কটকী দৈৱকীনন্দন যাদৱৰায়ৰ প্ৰৱসুৱা আহাৰ-পাটি শয্যা-সমলাদিৰে সৈতে পিচ ধৰিলে।[৪]

মহাৰথ কেশৱৰ হস্তিনাযাত্ৰা ঘোষণাৰ্থে শঙ্খ-ভৱা-

---

(১) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদযান পৰ্ব্বাধ্যায়, ৮২ আধ্যা, ৩৮ শ্লোক।

(২) সন্ধি-সংস্থাপনৰ উদ্দেশে কৌৰৱ নগৰলৈ কটকী হৈ যাবলৈ সাজু হওঁতা উভয় পক্ষৰে সমবন্ধু শ্ৰীকৃষ্ণৰ মুখে এনেকুৱা আশ্বাসবাণী শুনিলে বিস্ময় মানিব লগীয়াত পৰে। কিন্তু, সুদূৰগামী সৰ্ব্বব্যাপী সুতীক্ষ্ণ চিন্তাৰ দৃষ্টিৰে মতিমান্ শ্ৰীকৃষ্ণই সৰ্ব্বজ্ঞানস্বৰূপে ফটফটীয়াকৈ দেখিছিল যে, পাপমতি শকুনি, দুৰাত্মা দুঃশাসনে দুৰ্ম্মতি দুৰ্য্যোধনৰ সঙ্গতি নেৰেমানে সন্ধিৰ প্ৰস্তাৱ গৃহীত হোৱাটো অসম্ভৱ। তথাপি যে আদৰ্শ যোগী ভগবান বাসুদেৱে উপ্‌যাচি সেই কটকীৰ বাব গ্ৰহণ কৰিছিল, তাৰ নিগূঢ় কাৰণ এই যে, সিদ্ধি হওক, অসিদ্ধি হওক, অনুষ্ঠেয় কাৰ্য্য কৰিবই লাগে; সিদ্ধি আৰু অসিদ্ধি সমতুল্য জ্ঞান কৰিব লাগে।—এয়ে কৃষ্ণপ্ৰণীত গীতাধৰ্ম্মৰ মূলমন্ত্ৰ।

(৩) বৈদিকধৰ্ম্ম আৰু গীতাধৰ্ম্মৰ মাজত যদ্যপি মতভেদ বৰ্ত্তমান, তথাপি সৰ্ব্বজানিক সন্তোষাৰ্থে মহাজন ভগবান্-শ্ৰীকৃষ্ণদেৱে এইবিলাক যাত্ৰাবিধি হৃষ্টচিত্তেৰে অনুসৰণ কৰিছিল।

(৪) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৮৩ আধ্যা।

ঘণ্টা-মৃদঙ্গ-খঞ্জৰী-কালি-মুৰুলী আদি যথানিয়মে বাজি উঠা বাদ্যধ্বনি শুনামাত্রকে উপপ্লব্যৰ সকলো নৰ-নাৰী আবাল-বৃদ্ধ-বনিতা সমন্বিতে উৰুলীকৃত হৈ ওলাই সেই যশোদা-তনয় নন্দনন্দন দৈৱকীৰ অষ্টম গর্ভজাত সন্তান বাসুদেৱৰ দর্শন বাসনাৰে কৃষ্ণ-যাত্রা-পথৰ দুয়োকাষে শাৰী-শাৰী হলগৈ। সমবেত জনতাৰ মাজৰপৰা কৃষ্ণ-ৰথ উদ্দেশে ব্রাহ্মণসকলে উচ্চৰৱে মঙ্গলাচৰণ কৰাৰ লগে লগে গোপিনী-সকলে ৰাশি-ৰাশি সুগন্ধি বনফুল বর্ষণ কৰি মঙ্গল-উৰুলি দিবলৈ ধৰিলে।[১]

এই ভাৱে ভালেমান গাওঁ-বন পাৰ হৈ গৈ গৈ, ভগবান্ মৰীচিমালীয়ে স্বীয় কিৰণমালা সামৰি লৈ পছিমসাগৰত অৱগাহন কৰা পৰত, বৃকস্থল নামে গাওঁৰ ওচৰ পাওঁতে যাত্রাপথৰ দুয়োপাশে ব্রহ্মতেজপূর্ণ দুশাৰী মহর্ষি ভগবান্ শ্রীকৃষ্ণৰ দৃষ্টিগোচৰ হল। নিচেই কাষ চাপিলত, বাসুদেৱে ততালিকে ৰথৰপৰা নামি আথে-বেথে সভক্তিৰে সেই সকলক অভিবাদন কৰি সুধিলে, "হে মহর্ষিসকল! আশা কৰোঁ, আপোনাসৱৰ সর্ব্বতোভাৱে কুশল; আৰু মোৰ বিশ্বাস, আশ্রমত ধর্ম-কর্ম্মাদি কার্য্য সুচাৰুৰূপে চলিছে। আপোনাসকল কোন্ জন কোন্ আশ্রমৰপৰা আহিছে? কোন্ ফালে যাবলৈ বুলি ওলাইছে? সকাম কি? মোৰ-পৰা আপোনাসকলৰ কিবা উপকাৰ হব পাৰে নে?" তদুত্তৰত মহর্ষিসকলৰ মুখপাত্র স্বৰূপে মহাভাগ জামদগ্ন্যই[২] শ্রীকৃষ্ণক আলিঙ্গন কৰি এই বুলি সমিচাৰ দিলে, "হে মধুসূদন! আমাৰ মাজত কোনো কোনো দেৱর্ষি, কোনো কোনো বহুশ্রুত ব্রাহ্মণ। আমি কৌৰৱ-সভাত আপোনাৰ শ্রীমুখৰপৰা ন্যায়-ধর্ম্মযুত জ্ঞানগর্ভ তর্কতত্ত্বমূলক কথোপকথন শুনিবলৈ অভিলাষী হৈ আপোনাৰ অনুবর্ত্তী হোৱাৰ উদ্দেশে এই ঠাইত সমবেত হৈছোঁহি।[৩]

সিফালে ৰাজধানীত শ্রীকৃষ্ণৰ আগমন প্রতীক্ষাত ৰাজসভাত আৰু ৰাজপৰিয়ালৰ ভিতৰত সতর্কতাৰে সৈতে বিবিধ আলচ-আলোচনা চলিবলৈ ধৰিলে। বাসুদেৱক সংপ্রীতি সন্মান দেখুৱাৰ অর্থে বাহ্যিক আড়ম্বৰৰ ধুম্ পৰি গল। হোজা অন্ধৰাজ ধৃতৰাষ্ট্রই বাহ্যিক প্রীতি-ভক্তি আৰু আদৰ-সন্মান প্রদর্শনেৰে মৰম লগাই শ্রীকৃষ্ণক হাত কৰিবলৈ পার্য্যমানে আয়োজন কৰিলে। সেই উদ্দেশে তেওঁ আৰু কি কি কৰিবলৈ পাঙিছিল তাক চমুকৈ বিদুৰৰ আগত এইদৰে ব্যাখ্যা কৰিছিল,—"হে বিদুৰ! শ্রীকৃষ্ণই আজি পুৱা উপপ্লব্যৰপৰা যাত্রা কৰিছে; কাইলৈ পুৱা আমাৰ নগৰ সোমাবহি। তেওঁক তুষ্ট কৰিবলৈ মই ষোল হেজাৰ বিচক্ষণীয়া ঘোঁৰাৰে সৈতে ষোলখন সোণালী ৰথ উপহাৰ দিবলৈ যুগুতকৈ থৈছোঁ; তাৰ লগতে ৮টা ঐৰাৱত যেন বিচক্ষণীয়া হাতী, ১৮০০০ খন বিতোপনকৈ বন-কৰা দলিছা, চীনদেশৰপৰা অনা হাজাৰদিয়েক আপুকণীয়া পছুছাল, ১০০টা লগুৱা-ল'ৰা আৰু ১০০ জনী ধুনীয়া ধুনীয়া

(১) মহাভাৰত, উদ্যোগপর্ব্ব, ভগবদ্যান পর্ব্বাধ্যায়, ৮৩ আধ্যা।

দৈৱকীৰ অষ্টম গর্ভজাত পুত্র যশোদাতনয় নন্দনন্দন বৃন্দাবনবিহাৰী ৰাধাৰঞ্জন বাসুদেৱ যে অকল ব্রজৰ গোপ-গোপিনীৰে আৰাধ্য আছিল এনে নহয়, সেই ব্রজেশ্বৰ আৰু এই দ্বাৰকেশ্বৰ শ্রীকৃষ্ণ সর্ব্বত্রতে সর্ব্বজানিক পূজাৰ্হ হৈছিল। এইখিনি স্থলত শ্রীকৃষ্ণত বিষ্ণুত্ব বা ঈশ্বৰত্ব আৰোপ কৰা নাই, মাথোন তেওঁৰ মানৱ-মহত্ত্ব হে পূজা কৰা হৈছে।

(২) মহাভাৰত, উদ্যোগপর্ব্ব, ভগবদ্যান পর্ব্বাধ্যায়, ৮৪ আধ্যা।—এই খিনিতি প্রশ্ন উঠে যে, এই জামদগ্ন্য কোন্? ৰামায়ণৰ জামদগ্ন্য পৰশুৰামেই যদি এওঁ, তেনে-হলেতো বিষম বিভ্রাট ঘটে। ত্রেতাৰ আদিভাগৰ ৰঘুনাথ শ্রীৰামচন্দ্র আৰু দ্বাপৰৰ শেহভাগৰ যদুনাথ শ্রীকৃষ্ণ কেনেকৈ সমসাময়িক হব পাৰে? নহলে, আকৌ একেজন জামদগ্ন্যই একেজন্মতে ত্রেতাৰ ১২,৯৬০০০ বছৰ (?) যোগ দ্বাপৰৰ ৮,৬৪০০০ বছৰ (?), মুঠ ২১,৬০,০০০ বছৰৰ ব্যৱধানত (?) ৰাম-কৃষ্ণ দুয়ো ভগবদ্‌পুৰুষক সাক্ষাৎ পোৱাটো কেনেকৈ সম্ভৱপৰ হব পাৰে? ৰঘুনাথ ৰামৰ পূর্ব্ববর্ত্তী ৰামাৱতাৰৰ পিতৃ জমদগ্নিৰ অৱতাৰণা হোৱা হলেতো আৰু জঞ্জাল বাঢ়িলহঁতেন। এতেকে, এই জামদগ্ন্যৰ অৱতাৰণাৰ ঠাই প্রক্ষিপ্তৰ প্রাচীত হে হব পাৰে।

(৩) মহাভাৰত, উদ্যোগপর্ব্ব, ভগবদ্যান পর্ব্বাধ্যায় ৮৪ আধ্যা। শ্রীকৃষ্ণ যে বিপুল বেদ-শাস্ত্র পাৰদর্শী, তত্ত্বজ্ঞ, ন্যায়পৰায়ণ, ধর্ম্মাত্মা, আদর্শপুৰুষ আছিল, ই তাৰে সাক্ষ্য দিয়ে।

লিগিৰী-ছোৱালী আৰু দিনেৰাতিয়ে চক্‌চকীয়াকৈ জ্বলি থকা এই মণিৰত্নটি আগ কৰি থৈছোঁ। সিংহদুৱাৰৰেপৰা আৰম্ভ কৰি নগৰৰ সমুদায় ৰাজ-আলি, বিশেষকৈ যি যি আলিয়েদি দ্বাৰকেশ্বৰ ৰাজপুৰীলৈ আগমন কৰিব সেই আলিবাটবোৰ বিতোপনকৈ সজাবলৈ আদেশ দিয়া হৈছে। সিংহদুৱাৰৰপৰা দুৰ্য্যোধনত বাজে মোৰ পুত্ৰগণে আৰু নাতিসৱে বাসুদেৱক আদৰি আনিবগৈ। নগৰ সোমোৱা মাত্ৰকে শঙ্খ-ডবা-ঘণ্টা বাদনযুত হৰিধ্বনিৰে মহাতেজস্বী বৃষ্ণিকোঁৱৰ শ্ৰীকৃষ্ণদেৱৰ উপস্থিতি ঘোষণা কৰা হব। দুৰ্য্যোধনৰ বাসভৱনতকৈ দুঃশাসনৰ বাসভৱন অধিক বিতোপন; গতিকে তাতে বাসুদেৱৰ কাৰণে আতিথ্য-সৎকাৰ আৰু শয়নকক্ষ যুগুত কৰিবলৈ দিহা দিয়া হৈছে।[১]

বৃকস্থল গাওঁ পাৰ হওঁ-হওঁ হওঁতেই সন্ধ্যা লাগিল। এজোপা প্ৰকাণ্ড বৰগছৰ তলতে ৰথ ৰখোৱা হ'ল। শ্ৰীকৃষ্ণদেৱে ততালিকে ৰথৰপৰা নামি সান্ধ্যস্নান কৰি শুচি হৈ লৈ সন্ধ্যাৰ উপাসনাত বহিলে। দাৰুকে ৰথ নিযুক্ত কৰি শাস্ত্ৰানুযায়ী ৰথাশ্বৰ পৰিচৰ্য্যাত ধৰিলে। তাৰ পাচত, সন্ধ্যা-উপাসনা সমাপন কৰি উঠি ভগবান মধুসূদনে ইচ্ছা কৰিলে যে, সেই ৰাতি পাণ্ডৱৰাজৰ কটকী-যাত্ৰীসকলে তাতে জিৰণি লব। শ্ৰীকৃষ্ণৰ ইচ্ছা প্ৰকাশ হোৱা মাত্ৰে অনুচৰবৰ্গে আৰু সঙ্গৰ সকলোটিয়ে হাতে-পাতে লাগি ততালিকে গছ-পাত-লতাৰে সৈতে বৃন্দাবনবিহাৰী নন্দনন্দন বাসুদেৱৰ জিৰণিৰ অৰ্থে বিতোপনকৈ বিশ্ৰাম-বহা নিৰ্ম্মাণ কৰি তুলিলে; তাৰ লগে লগে মুকলি সুপ্ৰশস্ত চাপৰিত শাৰী-শাৰীকৈ গা-চোৱা সৈন্য-সামন্তলৈ প্ৰবসুৱা টাম্বুঘৰ থিয় হল। তাৰ পাচত, শ্ৰীকৃষ্ণৰ ভোজনান্তত সকলোটিয়ে আহাৰ-পানীৰে পৰিতৃপ্ত হৈ সেই ৰাতিটোৰ নিমিত্তে তাতে জিৰণি ললে।

ইফালে কুৰুৰাজ ধৃতৰাষ্ট্ৰৰ আদেশ অনুসাৰে সেই গাওঁৰপৰা আৰম্ভ কৰি নগৰৰ সিংহদুৱাৰলৈকে ঠায়ে ঠায়ে কেইবাটাও আলহীঘৰ শ্ৰীকৃষ্ণৰ আগমন উপলক্ষে বিতোপনকৈ সজাই থোৱা হৈছিল। কিন্তু, ব্ৰজেশ্বৰে তালৈ কেৰাহীকৈ নাচালে। বনচাৰী গোপালে গোপ-বিৰহী গোপেশ্বৰ হৈ পৰ্ণকুটীৰত তাতকৈ লাখগুণে অধিক সুখ-শান্তি উপভোগ কৰি ৰাতিটো বঞ্চিলে।[২]

পিচদিনা যথাবিধি প্ৰাতঃকৃত্য সমাপন কৰি উঠি, আগ-দিনাৰ শোভা-যাত্ৰাৰেই আদৰণীৰ বিপুল আড়ম্বৰৰ মাজেদি আহি ভক্তবৃন্দৰ মাধৱদৰ্শন বাসনা পৰিতৃপ্ত কৰি, মহাৰথ ভগবান্ শ্ৰীকৃষ্ণ সসেৱকে ধৃতৰাষ্ট্ৰৰ ৰাজ-চ'ৰাৰ সুপ্ৰশস্ত আৰু সুসজ্জিত বাটচ'ৰাত ভৰদুপৰীয়া উপনীত হোৱামাত্ৰে শঙ্খ-ডবা-ঘণ্টা হৰিধ্বনিৰ প্ৰতিধ্বনিয়ে নগৰ উৰুলীকৃত কৰিলে।[৩]

দ্বিচত্বাৰিংশ আধ্যা

হস্তিনাপুৰত শ্ৰীকৃষ্ণ

(প্ৰথম-দিনা)

কৌৰৱ-কাৰেঙৰ জাকজমক মণি-ৰত্ন-খটোৱা বিচক্ষণীয়া কক্ষশ্ৰেণী এটা-এটাকৈ পাৰ হৈ গৈ, শ্ৰীকৃষ্ণ কুৰুৰাজ ধৃতৰাষ্ট্ৰৰ ভিতৰ-চ'ৰাত উপনীত হলগৈ। সাক্ষাৎমাত্ৰকে ধৃতৰাষ্ট্ৰ, ভীষ্মদেৱ, দ্ৰোণ, কৃপাচাৰ্য্য, সোমদত্ত, বাহ্লীক, অশ্বত্থামা প্ৰমুখ্যে চ'ৰাৰ ৰজা, মন্ত্ৰী, সভাসদবৰ্গ সকলোটিয়ে বিনীতভাৱে আথেবেথে থিয় হৈ পৰমপুৰুষ দৈৱকীনন্দন বাসুদেৱৰ প্ৰতি সভক্তি সন্মান জ্ঞাপন কৰিলে। দ্বাৰকেশ্বৰ যদুনাথে যথোচিত বিনীতভাৱে ৰত্নাসন গ্ৰহণ কৰাৰ পাচত, কুৰুৰাজ ধৃতৰাষ্ট্ৰৰ পুৰোহিতগণে ন্যায়ানুসাৰে এজনী পাৰলী গাই, যৎকিঞ্চিৎ মৌ-দৈ-পানী আগবঢ়াই শ্ৰীকৃষ্ণ-

(১) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৮৫ আধ্যা।

(২) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৮৫ আধ্যা।

(৩) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৮৮ আধ্যা।

দেৱক গো, মধুপৰ্ক আৰু উদক প্ৰদান কৰিলে।[১] পাণ্ডৱ-কটকী শ্ৰীকৃষ্ণয়ো উপস্থিত ৰজা, যুৱৰাজ, মন্ত্ৰী, সভাসদবৰ্গ আৰু সেনাপতিসকলৰ প্ৰতি যথাসন্মান প্ৰদৰ্শন কৰি হৃষ্টচিত্তেৰে আতিথ্যস্বীকাৰ কৰিলে। তাৰ পাচত, সিবিলাকৰ লগত, যি যেনে আলাপনৰ উপযোগী, সেই অনুসৰি হৰ্ষালাপনেৰে বাসুদেৱে যথাৰীতি কুশল-মঙ্গলাদি সোধা-সুধি কৰিলে।

তাৰ পাচত, যথানীতি বৃদ্ধ কুৰুৰাজৰপৰা অনুমতি লৈ, দীনবন্ধু গোপাল-গোৱিন্দ অতিদীন মহাধাৰ্ম্মিক বিদুৰৰ কুটীৰত আলহী সোমাবলৈ অতি আগ্ৰহেৰে অগ্ৰসৰ হ'ল; ধূৰ্ত্তৰাজ ধৃতৰাষ্ট্ৰই কৃষ্ণমনোৰঞ্জনাৰ্থে পৰিপাটিকৈ সজাই থোৱা ৰাজকীয় জিৰণিকক্ষ আৰু ভোজনৰ বিপুল আয়োজনাদি সজোৱাভাগেই থাকিল! দীনবন্ধু ভক্তপ্ৰাণ ভগবান্ শ্ৰীকৃষ্ণই তেনেকুৱা ৰাজকীয় আতিথ্যৰ বিপুল আয়োজনলৈ ভ্ৰূক্ষেপ নকৰি, এটি দীন-দৰিদ্ৰৰ কুটীৰত আতিথ্যাকাঙ্ক্ষী হৈ হৃষ্টচিত্তেৰে উপনীত হ'লগৈ। কুটীৰত বিদুৰ নাছিল, কিন্তু পাণ্ডৱ-বান্ধৱ শ্ৰীকৃষ্ণৰ কণ্ঠস্বৰ শুনি ভিতৰপৰা শোক-সন্তপ্তা কুন্তীদেৱী[২] উত্ৰাৱলভাৱে ওলাই আহি ঈশ্বৰ-প্ৰেৰিত দূত[৩] শ্ৰীকৃষ্ণদেৱক সাবটি ধৰিলেহি। আদৰ্শপুৰুষ বাসুদেৱেও ছেগ বুজি পূজনীয়া পেহীয়েক কুন্তীদেৱীৰ চৰণ দুই যথাবিধি অভিবাদন কৰিলে। কিন্তু, পুত্ৰবিৰহিণী কুন্তীদেৱীৰ অপত্যস্মৃতি-শোকত কণ্ঠৰোধ! তেওঁ শ্ৰীকৃষ্ণক সাবটি ধৰি অজস্ৰ বিলাপ কৰিবলৈ ধৰিলে।[৪]

কুন্তীদেৱীক তেওঁৰ অন্তৰৰ শোক-তাপ আদি বিলাপত ব্যক্ত কৰিবলৈ অৱসৰ দি, তেওঁৰ মৰ্ম্মস্পৰ্শী বিননি শুনি শুনি শ্ৰীকৃষ্ণ ভালেমানপৰ সেইভাগেই নিটাল মাৰি ৰল। তাৰ পাচত, তেওঁ সেই বীৰজননীক সান্ত্বনা দিয়াৰ উদ্দেশে এইবুলি অতি জ্ঞানগৰ্ভ বুজনি দিবলৈ ধৰিলে,—"হেৰি পেহীদেউ! আপুনি শোকাকুলা নহব। শোক কৰিবলৈ আপোনাৰ স্বৰূপ কাৰণ নাই। আপুনি সামান্যা নাৰী নহয়। আপুনি বীৰজননী। আপোনাৰ বীৰপুত্ৰগণ আপোনাৰ সুযোগ্যা বোৱাৰীয়েকৰে সৈতে কি ভাৱে আছে তাৰ স্বৰূপ বাতৰি দিওঁ শুনক। সিবিলাকে ভোক-পিয়াহ, হৰ্ষ-বিষাদ, টোপনি-জিৰণি, ৰ'দ-বৰষুণ সমস্তকে জিনি বীৰৰ উপযোগী সুখ-শান্তি-সম্পদ ভোগ কৰিব লাগিছে। আপোনাৰ বীৰপুত্ৰগণে বীৰযোগ্য সুখ-সম্ভোগত দিন নিয়াইছে। মোৰপৰা এই সঠিক বাতৰি লৈ আপুনি শান্তিৰে সৈতে নিশ্চিন্তা হওক। আপুনি জানিব, মহাবলী মহাপৰাক্ৰমী, মহাসাহসী বীৰপুৰুষসকলে ইন্দ্ৰিয়সুখত কাচিতো নমজে, অলপত সিবিলাক তুষ্ট নহয়। সিবিলাকে অতিকষ্ট, নাইবা অতিসুখৰ হে প্ৰত্যাশী। ইন্দ্ৰিয়সুখৰ অভিলাষী সাধাৰণলোক হে মজলীয়া অৱস্থাত পৰিতৃপ্ত হয়। কিন্তু, আচলতে মজলীয়া অৱস্থা দুখৰ খনি; ৰাজভোগ নাইবা বনবাস হে সুখৰ আকৰ।[৫] এতেকে, হে পেহীদেউ, আপুনি স্থিৰ হওক। আপোনাৰ অতি চেনেহৰ বোৱাৰীয়েক আৰু অতি মৰমৰ পুত্ৰগণে মোৰ জৰিয়তে

---

(১) অথ গাং মধুপৰ্কং চাপ্যুদকং চ জনাৰ্দ্দনে।
উপজহ্ৰুৰ্যথান্যায়ং ধৃতৰাষ্ট্ৰপুৰোহিতাঃ॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্যান পৰ্ব্বাধ্যায়, ৮৯ আধ্যা, ২য় শ্লোক।

(২) যথাঠাইত উনুকিয়াই অহা হৈছে যে, দ্ৰৌপদীৰে সৈতে পঞ্চ-পাণ্ডৱে বনবাসলৈ যাওঁতে সিবিলাকৰ মাতৃ কুন্তীদেৱীক ধৰ্ম্মাত্মা বিদুৰৰ আশ্ৰয়ত তেওঁৰ ঘৰতে সুদিহা লগাই থৈ গৈছিল।

(৩) মহামতি ভীষ্মদেৱ, ধৰ্ম্মাত্মা বিদুৰ আৰু বীৰ-প্ৰসৱিনী নাৰীৰত্ন পাণ্ডৱজননী কুন্তীদেৱীৰ মানত সেইক্ষণত শ্ৰীকৃষ্ণ প্ৰকৃততে ঈশ্বৰপ্ৰেৰিত দূত যেন লাগিছিল।

(৪) সা দৃষ্ট্বা কৃষ্ণমায়ান্তং প্ৰসন্নাদিত্যবৰ্চসম্।
কণ্ঠে গৃহীত্বা প্ৰাকোশৎ স্মৰন্তী তনয়ান্ পৃথা॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্যান পৰ্ব্বাধ্যায়, ৯০ আধ্যা, ২য় শ্লোক।

(৫) ত্যক্তগ্ৰাম্যসুখাঃ পাৰ্থা নিত্যং বীৰসুখপ্ৰিয়াঃ।
ন তু স্বল্পেন তুষ্যেয়ুৰ্মহোৎসাহা মহাবলাঃ॥
অন্তং ধীৰা নিষেৱন্তে মধ্যং গ্ৰাম্যসুখপ্ৰিয়াঃ।
উত্তমাংশ্চ পৰিক্লেশান্ ভোগাংশ্চাতীৱ মানুষান্॥
অন্তেষু ৰেমিৰে ধীৰা ন তে মধ্যেষু ৰেমিৰে।
অন্তপ্ৰাপ্তিং সুখমাহুৰ্দুঃখমন্তৰমেতয়োঃ॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্যান পৰ্ব্বাধ্যায়, ৯০ আধ্যা, ৯৫—৯৭ শ্লোক।

আপোনালৈ সভক্তি সেৱা জনাইছে। সিবিলাক আটাইটি সুস্থশৰীৰে আৰু হৃষ্টচিত্তেৰে আছে। আপুনি নিশ্চিন্তা হওক ; আপোনাৰ বীৰ পুত্ৰগণে শত্ৰু বিনাশ কৰি পিতৃ-সম্পদ আৰু স্বৰাজ্য উদ্ধাৰ কৰা অনতিপলমে দেখিবলৈ পাব।" শ্ৰীকৃষ্ণৰ ওপৰত কুন্তীদেৱীৰ অটল বিশ্বাস; গতিকে, বাসুদেৱৰ অৰ্থভৰা বুজনিত আশ্বাস মানি তেওঁ এফেৰি প্ৰকৃতিস্থ হৈ এইবুলি সমিচাৰ দিলে,—"হে কৃষ্ণ। তুমি এই জগতৰ ত্ৰাণকৰ্ত্তা। তুমিয়েই জগতৰ প্ৰাণ। সকলো তোমাৰ করুণাসাপেক্ষ। তুমি সুদূৰদৰ্শী। তুমি সৰ্ব্বজান। তোমাক নপতিয়াই কোনে পাৰে।"[১]

কুন্তীদেৱীৰ ওচৰত বিদায় লৈ গৈ, শ্ৰীকৃষ্ণ পুনৰপি কুৰুৰাজ-চ'ৰাত উপনীত হলগৈ। মহাপ্ৰতাপী যুৱৰজা বা উঠিৰজা দুৰ্য্যোধনে ৰত্ন-সিংহাসনত উপবিষ্ট হৈ তেওঁৰ ভিতৰবিশ্বাসী ভাই বন্ধু দুঃশাসন, কৰ্ণ আৰু শকুনি প্ৰমুখ্যে ভালেমান ভূপাল আৰু কৌৰৱগণৰে সৈতে মন্ত্ৰণাত মগ্ন আছিল। শ্ৰীকৃষ্ণ গৈ উপস্থিত হোৱামাত্ৰকে সকলোটিয়ে আসনৰপৰা উঠি আগবাঢ়ি গৈ তেওঁক যথাৰীতি সন্মান জনালে। শ্ৰীকৃষ্ণদেৱে আসন গ্ৰহণ কৰি সাধু-শিষ্টতাৰে সৈতে অলপ পৰ কথাবাৰ্ত্তা পতাৰ পাচত, দুৰ্য্যোধনে তেওঁক ভোজনলৈ নিমন্ত্ৰণ জনালে। বাসুদেৱে সেই বাবে তেওঁৰ শলাগ ললে, কিন্তু কাৰণবশতঃ নিমন্ত্ৰণ গ্ৰহণ কৰিব নোৱাৰি আক্ষেপ প্ৰকাশ কৰিলে। দুৰ্য্যোধনে সেই কথাত আচৰিত হৈ এইবুলি বাসুদেৱক প্ৰশ্ন কৰিলে,—"হে জনাৰ্দ্দন! ই কি কথা! আপোনাৰ শুশ্ৰূষাৰ অৰ্থে যতন্তে যুগুত কৰা আহাৰ-পানী, সাজ-সমল, শয্যা-পাটী আপুনি গ্ৰহণ নকৰাৰ কাৰণ কি? আপুনি দুয়োপক্ষৰে হিতাকাঙ্ক্ষী। আগন্তুক মহাৰণত আপুনি উভয়ৰে উপদেষ্টা। এতেকে, আপুনি উভয়কে সমান চকুৰে চোৱা উচিত।"[২]

দুৰ্য্যোধনৰ প্ৰশ্নোত্তৰত শ্ৰীকৃষ্ণদেৱে এইবুলি সমিচাৰ দিলে,—"হে কৌৰৱ-কোঁৱৰ! আপুনি বিষম নাপাব। মই দেশাচাৰ আচৰিবলৈ বাধ্য হৈ হে আপোনাৰ ভোজন-নিমন্ত্ৰণ গ্ৰহণ কৰিব পৰা নাই। কিয়নো, ৰাজকীয় ৰীতি অনুসৰি কটকীয়ে নিজৰ উদ্দেশ্য সিদ্ধি কৰিব পাৰিলে হে ভোজনাদি আতিথ্য গ্ৰহণ কৰে। এতেকে, মোৰো যেতিয়া উদ্দেশ্য সিদ্ধি হব, তেতিয়া হে মই আপোনাৰ নিমন্ত্ৰণ গ্ৰহণ কৰিম।"

কৃষ্ণোত্তৰত সন্তুষ্ট নহৈ দুৰ্য্যোধনে পুনৰপি আক্ষেপ সহকাৰে এইবুলি কবলৈ ধৰিলে,—"হে বৃষ্ণি-কোঁৱৰ! আপোনাৰ এই সিদ্ধান্ত যুক্তিযুক্ত হোৱা নাই। আপোনাৰ লগত আমাৰ কোনো শত্ৰুতা নাই, আপুনি আমাৰ বন্ধু, আত্মীয় আৰু কুটুম্ব। এতেকে, আপোনাৰ উদ্দেশ্য সিদ্ধি হওক বা নহওক, আপুনি আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰা একান্ত বাঞ্ছনীয়, আৰু নিতান্ত উচিত।

দুৰ্য্যোধনৰ ওপৰা-উপৰি অনুৰোধত শ্ৰীকৃষ্ণদেৱে অগত্যা আকৌ এই বুলি যুক্তিসঙ্গত সমিধান দিলে, "হে কৌৰৱ! আপুনি বিশ্বাস কৰিব, মই বাঞ্ছাসিদ্ধিৰ অৰ্থে বা ক্ৰোধ-পৰবশ হৈ, কিম্বা ঘিণ কৰি, নাইবা কোনো স্বাৰ্থসিদ্ধি উদ্দেশে ধৰ্ম্মৰপৰা আঁতৰি থকা নাই, নিপিছলোঁ। আপুনি জনা উচিত যে, লোকে হয় প্ৰীতিপৰবশ হৈ, নহয় আপদত পৰি অন্যৰ অন্নগ্ৰহণ কৰে। আপুনি এতিয়া মোক সেই প্ৰীতিৰে সৈতে ভোজন কৰাবলৈ বিচৰা নাই, আৰু ময়ো আপদত পৰা নাই। তেন্তে নো মই আপোনাৰ অন্নগ্ৰহণ কৰিবলৈ কি বুলি বাধ্য?[৩] আপুনি অবাৱত সোদৰসদৃশ পাণ্ডৱগণক হিংসা কৰে, সেইটো নিতান্ত অনুচিত। পাণ্ডৱগণ ধৰ্ম্মপৰায়ণ, সততে ধৰ্ম্মপথাৱলম্বী, এতেকে কাৰ সাধ্য সিবিলাকৰ অহিত সাধন কৰে। যি পাণ্ডৱক হিংসা

(১) কুন্তীদেৱীয়ে ভক্তিবিহ্বলা হৈ প্ৰকাশ্যভাৱে এইদৰে শ্ৰীকৃষ্ণত ঈশ্বৰত্ব আৰোপ কৰি হাবিয়াস পূৰালে।

(২) কস্মাদন্নানি পানানি বাসাংসি শয়নানি চ।
ত্বদৰ্থমুপ নীতানি নাগ্ৰহীস্ত্বং জনাৰ্দ্দন॥
উভয়োশ্চদদৎসাহ্যমুভয়োশ্চ হিতে ৰতঃ।
সম্বন্ধী দয়িতশ্চাসি ধৃতৰাষ্ট্ৰস্য মাধব॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৯১ আধ্যা, ১৩—১৪ শ্লোক।

(৩) সংপ্ৰীতিভোজ্যান্যন্নানি আপদ্ভোজ্যানিবা পুনঃ।
ন চ সংপ্ৰীতিয়সে ৰাজন্নচৈবাপদ্গতাৱয়ম্॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান্ পৰ্ব্বাধ্যায়, ৯১ আধ্যা, ২৫ শ্লোক।

কৰে, সি মোৰ প্ৰতিও হিংস্থক ; আৰু যি পাণ্ডৱৰ অনুগত, সি মোৰো অনুগত। স্বৰূপত, পাণ্ডৱৰপৰা মই পৃথক নহওঁ। যি লোকে কাম-ক্ৰোধ-লোভ-মোহৰ বশৱৰ্ত্তী হৈ অন্যৰ লগত কন্দল পাতে আৰু গুণবানক হিংসা কৰে, সি নৰাধম। যি জনে কল্যাণকৰ গুণসম্পন্ন জ্ঞাতিগণক অকাৰণত দুষ্ট জ্ঞান কৰি সিবিলাকৰ ধন-ৰত্ন অপহৰণ কৰিবলৈ ইচ্ছা কৰে, সেই অজিতাত্মা দুৰাচাৰে কাচিতো চিৰসঞ্চিত সম্পত্তি সম্ভোগ কৰিবলৈ নাপায়। আনহাতে, নিজৰ অপ্ৰিয় হলেও, যি গুণীলোকক প্ৰিয়াচৰণেৰে বশ কৰে, তেওঁ চিৰকাল যশস্যা ভোগ কৰে। এতিয়া, বুজিবলৈ মোৰ বাকী নাই যে, আপুনি কোনো দুৰভিসন্ধিৰে সৈতে মোক ভোজনলৈ টানি আহ্বান কৰিছে। এতেকে, মই কেতিয়াও আপোনাৰ সংকল্পিত ভক্ষ্যসামগ্ৰী ভোজন নকৰোঁগৈ, ধৰ্ম্মাত্মা বিদুৰৰ কুটীৰত ভোজন কৰিবলৈ হে মই স্থিৰ কৰিছোঁ, আপুনি বিষম নাপাব।”[১]

শ্ৰীকৃষ্ণৰ অকাট্য যুক্তিপূৰ্ণ উত্তৰৰ প্ৰত্যুত্তৰ কাটিবলৈ ওপৰঞ্চি যুক্তি টুকি নাপাই দুৰ্য্যোধন নিৰুত্তৰ হল। নিমিষচেৰেক স্বভাৱতে কাৰ্য্যগতিকে কাঁহ-পৰি-জিন্-যোৱাৰ নিচিনাকৈ নিজম পৰিল। তাৰ মাজতে দুৰ্য্যোধনে মনে মনে অন্য কোনো কথা পাঙিছে যেন বুজিব পাৰি, তেওঁক সেই অৰ্থে সুবিধা দি, শ্ৰীকৃষ্ণদেৱে বিহিতভাৱে বিদায় লৈ অন্যত্ৰ গতি কৰিলে। তেওঁ পোনেই ভীষ্মদেৱ, তাৰ পাচত দ্ৰোণাচাৰ্য্য, তাৰ পাচত কৃপাচাৰ্য্য এই অনুক্ৰমে কুৰুৰাজ-সভাৰ জ্ঞানী, মানী, সজ্জন সবাৰকে সাক্ষাৎ কৰি যথাৰীতি প্ৰীতিভাব জ্ঞাপন কৰিলে গৈ। সিবিলাকে অযাচিতে মহাজ্ঞানী পৰমপুৰুষ দৈৱকীনন্দন বাসুদেৱৰ সাক্ষাৎ লাভ কৰি নিজৰ পৰম সৌভাগ্য বুলি মানিলে। সিবিলাকৰ প্ৰত্যেকেই শ্ৰীকৃষ্ণদেৱক যথাসমাদৰেৰে আতিথ্য সংকাৰ কৰি সিবিলাকৰ নিজ নিজ ঘৰত আলহী হবলৈ বিনীত অনুৰোধ জনালে, আৰু প্ৰত্যেকেই বহুমূলীয়া বস্তুবাহিৰে সৈতে তেওঁৰ ওলগ ললে। কিন্তু, মহানীতিবান্ আৰ্দৰ্শ মানৱ মাধৱে প্ৰত্যেককে যথাযোগ্য সাধুবুজনি দি সিবিলাকৰ সাদৰী অনুৰোধ বিনীতভাৱে প্ৰত্যাহাৰ কৰিলে। তাৰ পাচত, শ্ৰীকৃষ্ণদেৱে সেই সমৃদ্ধিশালী ৰাজপুৰুষসকলৰ বিচক্ষণীয়া ৰাজপ্ৰাসাদ এৰি থৈ, দীনহীন ধৰ্ম্মাত্মা বিদুৰৰ সামান্য কুটীৰত আলহী হলগৈ।

ভোজনৰ পাচত, যথাৰতকৈ জিৰণি লৈ উঠি, বাসুদেৱে বিদুৰৰে সৈতে ভিতৰুৱাকৈ কথা-বাৰ্ত্তা পাতিবলৈ ধৰিলে। কথাপ্ৰসঙ্গত বিদুৰে ভক্তিভাৱে শ্ৰীকৃষ্ণৰ আগত এই বুলি মনোভাব ব্যক্ত কৰিলে,—“হে মধুসূদন! আপোনাৰ হস্তিনালৈ অহা অসাৰ্থক হব। মই জানোঁ, দুৰাশয় দুৰ্য্যোধনে আপোনাৰ সন্ধি-প্ৰস্তাৱত কাচিতো মান্তি নহয়, বিনাৰণে কৌৰৱে পাণ্ডৱক গাওঁ এখনো এৰি নিদিয়ে। এতেকে, আপোনাৰ কটকীতা বিফল হব, আপুনি সেই উদ্দেশে ইয়ালৈ অহাৰ প্ৰয়োজন নাছিল। হে পুৰুষোত্তম! আপোনাৰ প্ৰভাৱ, পৌৰুষ আৰু বুদ্ধিৰ বিষয়ে মই বিলক্ষণ জানোঁ, তথাপি, মোৰ মনেৰে, আপুনি বিপক্ষৰ ফলীয়া হৈ এই সময়ত শত্ৰুৰ ৰাজভৱনলৈ অহাটো উচিত নাছিল।”[২]

জ্ঞানী বিদুৰৰ মুখে সৰল বন্ধুৰ বুজনি শুনি পাণ্ডৱ-কটকী শ্ৰীকৃষ্ণদেৱে এটি সৰল হাঁহি মাৰি এই বুলি সমিচাৰ দিলে,—“হে ধৰ্ম্মাত্মা বিদুৰ! আপোনাৰ সৰল মন্তব্যত মই সম্মানেৰে কাণ পাতিছোঁ। আপুনি যি কৈছে, সেইটো সঁচা হব পাৰে, মোৰ মনতো তেনে ধাৰণা বহিছে। তথাপি যে মই শত্ৰুপক্ষৰ মাজত অযাচিতে সোমাই বিপদ-মুখীয়া হৈছোঁহি, তাৰ মূল উদ্দেশ্য হৈছে কৰ্ত্তব্যপালন। এই পৃথিবীত প্ৰকৃত ধাৰ্ম্মিক হবলৈ হলে অধাৰ্ম্মিকক আগন্তুক আপদৰপৰা ৰক্ষা কৰিবলৈ প্ৰাণটাকি যত্ন-চেষ্টা

(১) সৰ্ব্বমেতন্ন ভোক্তব্যমন্নং দুষ্টাভিসংহিতম্।
ক্ষত্তুৰেকস্য ভোক্তব্যমিতি মে ধীয়তে মতিঃ॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৯১ আধ্যা, ৩২ শ্লোক। মুখৰ আগতে এনেকুৱা অপ্ৰিয়-সত্য কথা কওঁতা নৈতিক সাহসী পুৰুষ কৃষ্ণসমতুল্য পৃথিবীত আৰু কোন্ আছে ?—বিশেষকৈ শত্ৰুৰ ঘৰত শত্ৰুসমুখত।

(২) তেষাং সমুপবিষ্টানাং বহুনাং দুষ্টচেতসাম্।
কথং মধ্যং প্ৰপদ্যেথাঃ শত্ৰুণা শত্ৰুকৰ্ষণ॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৯২ আধ্যা, ২৭ শ্লোক।

কৰা উচিত। যিবিলাকে আপদত পৰা বন্ধুজনক উদ্ধাৰ কৰিবলৈ পাৰ্য্যমানে আগ নাবাঢ়ে, সিবিলাকক জ্ঞানীজনে নিঠুৰ-নিকৰুণ বুলি নিন্দা কৰে। আৰু, যি সকলে ৰণগ্ৰস্ত নৰলোকক মৃত্যুমুখৰপৰা ৰক্ষা কৰি পৃথিবীক ৰক্ষা কৰিব পাৰে, সেইসকলৰ সমান পুণ্যবান লোক নাই; সি সকলৰ সৰ্বাতোভাল ধৰ্ম্মলাভ হয়। তাৰোপৰি, অকাৰ্য্য কৰি আপদত পৰিবলৈ আগবঢ়া বান্ধৱক জ্ঞানীজনে চুলিত ধৰি টানি হলেও তাৰপৰা ৰক্ষা কৰে। দুৰ্য্যোধনে যদি মোৰ সৰল হিতোপদেশত সন্দেহ মানি উপস্থিত অকাৰ্য্যৰপৰা নিবৃত্ত নহয়, তাত মোৰ লেশমানো ক্ষতি নাই, বৰঞ্চ আত্মীয়জনক উদ্ধাৰ কৰিবলৈ যথাসাধ্য যত্ন কৰা বাবে মই অতুল আনন্দ উপভোগ কৰিবলৈ পাম। তদুপৰি, জ্ঞাতি-ভেদৰ আগন্তুকত দুৰ্ভগীয়া লোকক যি লোকে জানি-বুজিও সৎপৰামৰ্শ নিদিয়ে, তেনেলোকক কাচিতো আত্মীয় বুলি মানিব নোৱাৰি। এতেকে, মোৰ সৎপৰামৰ্শ দুৰ্য্যোধনাদি কৌৰৱে গ্ৰহণ নকৰিলেও মোৰ বেজাৰ-অসন্তোষ নাই, মই নিজ কৰ্ত্তব্য পালনৰ সুখ অনুভৱেৰে উলটি যামগৈ।"[১]

শ্ৰীকৃষ্ণৰ উক্তি কাটিবলৈ ভক্ত বিদুৰৰ যুক্তিৰ নাটনি পৰিল, তেওঁ অগত্যা 'মৌনেন সম্মতি লক্ষণ'ৰ ভাৰ ধাৰণ কৰিলে। তথাপি, কুৰু-ৰাজ-কাৰেঙত আৰু কৌৰৱ শিবিৰত বিশেষ সতৰ্কতাৰে সৈতে গা চাই ফুৰিবলৈ ভিতৰ-বিশ্বাসত ধৰ্ম্মাত্মা বিদুৰে পৰমাত্মা শ্ৰীকৃষ্ণদেৱক আগধৰি যৎকিঞ্চিৎ সঙ্কেত দি থলে। ভগবান্ বাসুদেৱেও সেই সঙ্কেতৰ বিশেষণত সবিশেষ বুজি ললে।

ত্ৰিচত্বাৰিংশ আধ্যা

(হস্তিনাপুৰত দ্বিতীয়-দিনা)

কুৰু-ৰাজচ'ৰাত শ্ৰীকৃষ্ণ

পিচদিনা প্ৰত্যুষতে সুকণ্ঠী প্ৰভাতী ভাটৰ মুখে সুমধুৰ হৰিগুণগান আৰু কুলিকণ্ঠ গায়িকাৰ হৃদয়ৰঞ্জক গোবিন্দগীত শ্ৰৱণ কৰি শ্ৰীকৃষ্ণদেৱে শয্যা এৰি গাত্ৰোত্থান কৰা মাত্ৰকে শঙ্খ-ডবা-ঘণ্টাৰ সঙ্গীতময় আৰতিয়ে বিদুৰ-কুটীৰ গিজিপ্ মাৰি ধৰি কুৰুৰাজপুৰী প্ৰতিধ্বনিত কৰিলে। সেই উলাহৰ ঢৌত হিয়া নচুৱাই বাসুদেৱে যথাবিধি প্ৰাতঃস্নান আৰু প্ৰাতঃকৃত্য সমাপন কৰি, অগ্নি-আহ্নিক স্তোত্ৰ হৃদয়গ্ৰাহী সুৰেৰে স্মৰন কৰিলে। তাৰ পাচত, শুদ্ধ আৰু হৃষ্ট চিত্তেৰে ভক্ত বিদুৰৰ আতিথ্য-ভোজন গ্ৰহণ কৰি, পাণ্ডৱ-কটকী দ্বাৰকেশ্বৰে কুৰু-ৰাজচ'ৰাত উপস্থিত হোৱাৰ উদ্দেশে যথা-যোগ্য মণিৰত্ন আৰু সাজপাৰ পৰিধান কৰিলে। বৃন্দাবনৰ গোপিনীমোহন বনমালী কৃষ্ণৰূপ কুৰুৰাজ-টোলত মণি-ৰত্ন-মুকুতাৰ মালাধাৰী যদুমণিৰ ভুবনমোহন ৰূপত পৰিণত হল। এনেতে, শ্ৰীকৃষ্ণদেৱক আগবঢ়াই নিবলৈ বুলি দুৰ্য্যোধন আৰু শকুনি বিদুৰ-কুটীৰত উপস্থিত হলহি। সিবিলাকে আহিয়েই এই বুলি বাসুদেৱত ৰাজ-সভাৰ আবাহন জ্ঞাপন কৰিলে, "হে পুৰুষোত্তম বৃষ্ণি-কুল-তিলক! মহাৰাজ ধৃতৰাষ্ট্ৰ, পিতামহ ভীষ্মদেৱ, আচাৰ্য্য দ্ৰোণ-গুৰু প্ৰমুখ্যে কুৰুৰাজৰ সভাসদসকল আপোনাৰ শুভাগমন প্ৰতীক্ষাত সমবেত হৈছে, এতিয়া অনুগ্ৰহ কৰি আপুনি আহিলেই হয়।" বাসুদেৱে যথাসন্মানেৰে সিবিলাকক এই বুলি সুমধুৰ সমিধান দিলে, "হয়, মই সম্প্ৰতি হৈ ওলাই আছোঁ, মাথোন যাব লাগে।"

সঙ্কেতমাত্ৰকে দাৰুকে কৃষ্ণৰথ আনি বিদুৰৰ পদূলিমূৰত সাজু কৰিলেহি। ব্ৰাহ্মণ-সজ্জন, ঋষি-মুনি, দুখী-দৰিদ্ৰ, আদিক যথাবিধি আৰু যথাৰীতি দান-দক্ষিণা দিয়া মঙ্গলা-চৰণ সমাপন কৰি স্থিৰ-গম্ভীৰভাৱে পাণ্ডৱ-কটকী দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণ ৰথত চৰিল গৈ। ৰথৰ দুয়ো কাষে শত শত মহাযোদ্ধা সশস্ত্ৰে যাত্ৰা কৰিলে। বিদুৰ, শকুনি আৰু দুৰ্য্যোধনৰ ৰথ কৃষ্ণ-ৰথৰ অনুবৰ্ত্তী হল। মহাৰথ সাত্যকি আৰু কৃতবৰ্ম্মা প্ৰমুখ্যে সুসজ্জিত বৃষ্ণি-যোদ্ধাসকলে সশস্ত্ৰে যদুমণি বাসুদেৱৰ গা-চোৰা হৈ আগে-পিচে আৰু সৌৰে-বাঁৱে সতৰ্কিত আৰু পুলকিতভাৱে সহচৰৰূপে যাত্ৰা

---

(১) জ্ঞাতীনাংহি মিথো ভেদে যন্মিত্ৰং নাভিপদ্যতে।
সৰ্ব্বযত্নেন মাধ্যস্থং ন তন্মিত্ৰং বিদুৰ্বুধাঃ॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৯৩ আধ্যা, ১৫ শ্লোক।

কৰিলে। তাৰোপৰি, ৰাজসন্মান প্ৰদৰ্শনৰ নিদৰ্শনস্বৰূপে পাঁচ-শ হাওদা-তৰা হাতী, এহেজাৰ সযাত্ৰী ৰথ আৰু হাজাৰ-বিজাৰ সৈনিক-যাত্ৰী খোলা তৰোৱাল কানত তুলি, আৰু খোলা-ছাঙ্গি থিয় কৰি, শ্ৰীকৃষ্ণৰ শোভাযাত্ৰাৰ শোভা বৰ্দ্ধন কৰিলে। এনে সুপূজিত, সুসন্মানিত আৰু সুশোভিত শোভাযাত্ৰাৰ মণিকেন্দ্ৰ যদুমণি যাদৱৰায় দৈৱকীনন্দন কংস-চানুৰ-মৰ্দ্দন জনাৰ্দ্দন মধুসূদন মাধৱ আদৰ্শপুৰুষ শ্ৰীকৃষ্ণৰ দৰ্শনলাভ কামনাৰে শোভাযাত্ৰাৰ দুয়োকাষে ল'ৰা, ডেকা, বুঢ়া, জীয়াৰী, বোৱাৰী, গৃহিণী লাখ-বিলাখ নৰ নাৰীয়ে একেথিৰে চাই চাই দুশাৰী অপূৰ্ব্ব মানৱৰেখা অঙ্কিত কৰিলে। এনে সন্মানৰ উলাহত ভাহি দেৱতা-দুৰ্ল্লভ কৃষ্ণযাত্ৰা কুৰু ৰাজ চ'ৰাৰ সমুখত উপস্থিত হলগৈ।

শ্ৰীকৃষ্ণ লাহেকৈ ৰথৰপৰা নামিল। নামিয়েই এহাতে সাত্যকি আনহাতে বিদুৰ, সমুখত আগবঢ়াই নিওঁতা দুৰ্য্যোধন আৰু কৰ্ণ, পিচত কৃতবৰ্ম্মা প্ৰমুখো বৃষ্ণি বীৰগণেৰে পৰিবেষ্টিত হৈ, বাসুদেৱে ৰাজহংসগতিৰে ধীৰে ধীৰে গৈ কুৰু-ৰাজসভাত প্ৰৱেশ কৰিলেগৈ। নিলগত দেখা মাত্ৰে কুৰুৰাজ ধৃতৰাষ্ট্ৰ, পিতামহ ভীষ্মদেৱ, আচাৰ্য্য দ্ৰোণ প্ৰমুখো সভাসদসকলে আসন এৰি থিয় হৈ, ভাৰতৰ সৰ্ব্বশ্ৰেষ্ঠ আদৰ্শপুৰুষ মহাযশা মাধৱৰ প্ৰতি যথাযোগ্য সন্মান প্ৰদৰ্শন কৰিলে[১] তাৰ পাচত, সেই পূজাৰ্হ ভক্তি-ভাজন বিৰাটপুৰুষ পাণ্ডৱ-কটকী দ্বাৰকেশ্বৰে নিৰূপিত আসন গ্ৰহণ কৰাত, ৰজা-মন্ত্ৰী-সভাসদ সকলোটি পুনৰপি নিজ নিজ আসনত উপবিষ্ট হল। শ্ৰীকৃষ্ণ এজন অতি বিনয়ী, অতি নম্ৰ আৰু অতি মধুভাষী সুপুৰুষ। তেওঁ অলপমান পৰৰ নিমিত্তে ৰজা আৰু সভাসদ সকলৰে সৈতে যথাযোগ্যৰূপে কুশল-মঙ্গলাদি জ্ঞাপক সংপ্ৰীতি আলাপ-আচৰণত প্ৰবৃত্ত হল। তাৰ পাচত, সেই অসাধাৰণ ৰাজ-নৈতিক বিৰাটপুৰুষ শ্ৰীকৃষ্ণদেৱে বিবিধ বিধানেৰে তেওঁৰ আগমনৰ উদ্দেশ্য ব্যাখ্যা আৰম্ভ কৰিলে। জয়-জয়তে, যি পৃথিবীৰ ৰাজনীতিৰ মূলসূত্ৰ, সেই অনুসৰি নিজ ৰাজকাৰ্য্য সম্পাদন আৰু অপৰৰ লগত সম্বন্ধ ৰক্ষা কৰিবলৈ বৃদ্ধৰাজ ধৃতৰাষ্ট্ৰক মহানীতিজ্ঞ ৰাজপুৰুষ বাসুদেৱে সুপৰামৰ্শ দিলে। পৃথিবীৰ সেই মূলসূত্ৰৰ বিধান এই যে, প্ৰজাহিতাৰ্থে দোষীক সমূচিত দণ্ড বিহিব লাগে, যাক নাশ নকৰিলে, অনেকৰ প্ৰাণনাশ হোৱাৰ আশঙ্কা তাক বধ কৰাটো নিতান্ত প্ৰয়োজন। এই সূত্ৰৰ বান্ধনী দি থৈ, পাণ্ডৱ-কটকী মহামতি শ্ৰীকৃষ্ণদেৱে কুৰু-পাণ্ডৱৰ মাজত সংপ্ৰীতি-সন্ধিৰ প্ৰস্তাৱ আগ বঢ়ালে।[২]

আগতে আভাস মাথোন দি লৈ, বাগ্মীপ্ৰবৰ শ্ৰীকৃষ্ণদেৱে এইবাৰ ৰাজসভাত প্ৰকাশ্যে এই বুলি কুৰুৰাজ ধৃতৰাষ্ট্ৰৰ প্ৰতি তেওঁৰ বক্তব্য ব্যক্ত কৰিবলৈ ধৰিলে,—"হে মহাৰাজ! এই কুৰুৰাজসভালৈ মোৰ আগমনৰ আচল উদ্দেশ্য মই ব্যাখ্যা কৰোঁ, সবাৰে মন পাৰি শুনে যেন। মই আজি এই বিচক্ষণীয়া বিৰাট ৰাজসভাত[৩] পাণ্ডৱ-কটকী হৈ উপস্থিত। মই প্ৰস্তাৱ কৰোঁ, কুৰু-পাণ্ডৱৰ মাজত সংপ্ৰীতি সন্ধি সংস্থাপিত হওক। এইটো কাৰো অবিদিত নহয় যে, আজি আৰ্য্যাৱৰ্ত্তত কুৰু-ৰাজবংশ ক্ষত্ৰিয় কুলতিলক স্বৰূপ। এই বংশ শিক্ষা, জ্ঞান, ধৰ্ম্ম, ন্যায়, নীতি, সৰলতা, সত্য- নিষ্ঠতা ইত্যাদি গুণত আজি ভাৰতবৰ্ষৰ ভিতৰত অগ্ৰগণ্য। শাস্ত্ৰজ্ঞানত, ৰাজনীতিজ্ঞানত আৰু মানৱ সভ্যতাত আজি এই বংশৰ সমকক্ষ কোনো হব পৰা নাই। দয়া, ক্ষমা, ধৈৰ্য্যশীলতা গুণত আজি আৰ্য্যাৱৰ্ত্তৰ আদৰ্শ-স্থল। এনে মহৎ বংশৰ লোকে কাচিতো অনুচিত কাৰ্য্য

(১) ধৃতৰাষ্ট্ৰং পুৰস্কৃত্য ভীষ্মদ্ৰোণাদয়স্ততঃ।
আসনেভ্যোঽচলন্ সৰ্ব্বে পূজয়ন্তো জনাৰ্দ্দনম্॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৯৪ আধ্যা, ৩৪ শ্লোক।

(২) কুৰূণাং পাণ্ডৱানাঞ্চ শমঃ স্যাদিতি ভাৰত।
অপ্ৰণাশেন বীৰাণামেতদ্‌যাচিতুমাসতঃ॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৯৫ আধ্যা, ৩ শ্লোক।

(৩) কুৰুৰাজ ধৃতৰাষ্ট্ৰৰ ৰাজসভাত সেইদিনা ভাৰতৰ অগ্ৰগণ্য ৰজা-মহাৰজাসকল সমবেত হৈছিল। তাৰোপৰি, ইয়াত ভালেমান সুপ্ৰখ্যাত ঋষি, মুনি, দেৱৰ্ষি, ব্ৰহ্মৰ্ষি, ৰাজৰ্ষি, আচাৰ্য্য, পুৰোহিত আদিয়ে যোগ দিবলৈ অহাৰ বিষয়ে আগতে 'শ্ৰীকৃষ্ণৰ হস্তিনা-যাত্ৰা' আধ্যাত আভাস দি অহা হৈছে।

নকৰে। এতেকে, আগন্তুক মহাৰণৰ নিচিনা অবাঞ্ছনীয় কাৰ্য্যত যে এই বংশ সংলিপ্ত হোৱা অনুচিত আৰু অবাঞ্ছনীয় তাৰ ব্যাখ্যা দিয়া বাহুল্য মাথোন। এনেকুৱা পৰিত্যজ্য কাৰ্য্যৰপৰা নিবৃত্ত হবলৈ মই মধ্যস্থ হৈ কৌৰৱ আৰু পাণ্ডৱ দুয়ো ফৈদকে সানুনয় অনুৰোধ কৰোঁ। আৰু, এই মহৎ উদ্দেশ্য সাধন কৰিবলৈকো বিস্তৰ আয়াসৰ প্ৰয়োজন নাই, মাথোন কুৰুপতি মহাৰাজ ধৃতৰাষ্ট্ৰ এপক্ষে আৰু আনপক্ষে মই, এই দুইৰ ওপৰতে সেই উদ্দেশ্য সিদ্ধি নির্ভৰ কৰিছে; কুৰুৰাজ ধৃতৰাষ্ট্ৰই তেওঁৰ পুত্ৰগণক সন্ধি-প্ৰস্তাব গ্ৰহণ কৰাবলৈ গাত লওক, পাণ্ডৱগণক সন্মত কৰাবলৈ মই গাত লৈছোঁ। যদি আমাদুজনৰ সেই উদ্দেশীয়া যত্ন-চেষ্টা ফলৱতী হয়গৈ, তেন্তে নিলগৰ আপদৰ ঢৌ নিলগতে মাৰ যাব, আগন্তুক ভয়ঙ্কৰ মহাৰণৰ আশঙ্কা নৰ-ৰক্তপাত নোহোৱাকৈ আপোনা-আপুনি নিৰ্ব্বান্ হব। আৰু, যদিহে আমাদুজনৰ সন্ধি-প্ৰস্তাব অগ্ৰাহ্য হোৱাত সেই মহাগ্নিয়ে অভ্ৰংলেহী জিভা মেলিবলৈ পায়, তেন্তে সি কুৰুকুল ধ্বংস কৰাৰ উপৰি ভাৰতত মহাপ্ৰলয় ঘটাব। এই মহাৰণৰ উদ্দেশ্যে ভাৰতৰ সৰু-বৰ সকলো ৰজা-মহাৰজা এপক্ষত-নহয়-এপক্ষত সংলিপ্ত আছে, গতিকে এই প্ৰলয়ৰূপী ৰণাগ্নি জ্বলি উঠিবলৈ পালে, তাৰ জুইয়ে সমস্ত ভাৰতক পুৰি ছাই কৰিব যে তাত ধনিষ্টামানো সন্দেহ নাই। এতেকে, মই আশা কৰোঁ, মোৰ সন্ধি-প্ৰস্তাব কাৰ্য্যত পৰিণত কৰিবলৈ এই ৰাজসভাই বৃদ্ধ মহাৰজা ধৃতৰাষ্ট্ৰক সৰ্ব্বতোভাৱে সহায় কৰিব।"

শ্ৰীকৃষ্ণৰ সাৰগৰ্ভ মহদ্বাণী শুনি সভাস্থ জনমণ্ডলীয়ে ধন্য ধন্য কৰিবলৈ ধৰিলে; আৰু মহামতি ভীষ্মদেৱ প্ৰমুখ্যে ধাৰ্ম্মিক সভাসদসকলে সেই অমূল্য উপদেশপূৰ্ণ পৰামৰ্শ অনুসৰি কাৰ্য্যত প্ৰবৃত্ত হবলৈ কুৰুৰাজ ধৃতৰাষ্ট্ৰক বিহিত উদগনি যাজ্ঞা কৰিলে।[১]

মহাৰাজ ধৃতৰাষ্ট্ৰই কৃষ্ণবাণী আৰু সভাসদৰ উদগনি সৰ্ব্বান্তঃকৰণে গ্ৰহণ কৰিছিল যদিও, মনৰ দুৰ্ব্বলতাহেতুকে সেই ভাৰ স্বয়ং গ্ৰহণ কৰিব নোৱাৰি অতি কাতৰভাৱে এইবুলি সমিচাৰ দিলে,—"হে বৃষ্ণিকুলতিলক বাসুদেৱ আৰু উপস্থিত সভাসদসকল! মই সকাতৰে জনাওঁ যে, দুষ্ট দুৰ্য্যোধনক বৰাবলৈ মই অপৰাগ; মোৰ সেই অবাধ্য পুত্ৰই মোৰ আদেশ-উপদেশ গ্ৰহণ কৰিব, এনে বিশ্বাস নহয়, বৰঞ্চ তাৰ বিপৰ্য্যয় ঘটোৱাৰ হে আশঙ্কা। এতেকে, এই ভাৰ মোৰ ওপৰত নিদি, ন্যায়শাস্ত্ৰজ্ঞ অদ্বিতীয় পণ্ডিত শ্ৰীকৃষ্ণদেৱে স্বয়ং গাত লৈ, দুয়োপক্ষৰ হৈ কটকীৰ কৰ্ত্তব্য কৰোক।"[২]

অলপধতুৱা দুৰ্ব্বল ৰজা ধৃতৰাষ্ট্ৰক মনে-মনে পুতৌ কৰি, শ্ৰীকৃষ্ণদেৱে পুনৰ্ব্বাৰ তেওঁক এইবুলি পৰামৰ্শ দান কৰিলে,—"হে কুৰুৰাজ! আপুনি হতাশ হোৱাৰ কোনো কাৰণ নাই; যুৱৰাজ দুৰ্য্যোধন আপোনাৰ পুত্ৰ, গতিকে পিতৃ আদেশ পালন কৰিবলৈ তেওঁ নীতি-শাস্ত্ৰমতে বাধ্য। তাৰোপৰি, আপুনি ৰজা; ৰজাৰ আজ্ঞা যুৱৰাজে পালন কৰিবলৈ ৰাজ-নীতিমতেও বাধ্য। যদি, সিমানতো তেওঁ অবাধ্য হৈ অকাৰ্য্য কৰিবলৈ উদ্যত হয়, তেন্তে তেনেজনক ৰাজবন্দী কৰি হলেও ৰাজকৰ্ম্ম সাধন কৰি ৰাজধৰ্ম্ম পালন কৰাটো আমি বিধেয় বিবেচনা কৰোঁহক।"[৩]

ইমানতো দুৰ্ব্বল ধতুৱা ধৃতৰাষ্ট্ৰই সেই ভাৰ স্বয়ং গাত লবলৈ আগ বাঢ়িব নোৱাৰিলে। তেওঁ হতাশ হৈ অতি কাতৰভাৱে শ্ৰীকৃষ্ণদেৱক হে সেই ভাৰ লবলৈ পুনৰপি অনুৰোধ কৰিলে। বৃদ্ধ ৰজাই পুনঃ পুনঃ আগবঢ়োৱা সেই

(১) তস্মিন্নভিহিতে ৱাক্যে কেশৱেন মহাত্মনা।
স্তিমিতাহৃষ্টৰোমাণ আসন্ সৰ্ব্বে সভাসদঃ॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ৯৩ আধ্যা, ১ম শ্লোক।

(২) সত্বং পাপমতিং ক্ৰূৰং পাপচিত্তমচেতনম্।
অনুশাধি দুৰাত্মানাং স্বয়ং দুৰ্য্যোধনং নৃপম্॥
সুহৃৎ কাৰ্য্যংতু সুমহৎ কৃতং তে স্যাজনাৰ্দ্দন।
ততোহভ্যাবৃত্যবাৰ্ষ্ণেয়ো দুৰ্য্যোধনমমৰ্ষণম্॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১২৩ আধ্যা, ৬—৭ শ্লোক।

(৩) ইতিক্ষণত শকুনি, কৰ্ণ আৰু দুঃশাসনেৰে সৈতে লগ-লাগি দুৰ্য্যোধন ৰাজচ'ৰাৰপৰা উঠি গৈ, শ্ৰীকৃষ্ণক বন্দী কৰি ৰাখিবলৈ বুলি অন্তঃপুৰত স্বকক্ষত গুপুতে ষড়যন্ত্ৰত বহিলগৈ।

অনুৰোধ এৰাব নোৱাৰি, দুৰ্য্যোধনক বৰাবৰ উদ্দেশে আগবাঢ়ি চাবলৈ বাসুদেৱ অগত্যা মান্তি হল। সেই কথাত উল্লাহিত হৈ বৃদ্ধৰজা ধৃতৰাষ্ট্ৰই দুৰ্য্যোধনক ৰাজসভালৈ মাতি পঠিয়ালে। পিতৃৰ আদেশ বুলি নহয়, কিন্তু ৰাজাজ্ঞা অৱজ্ঞা কৰিব নোৱাৰি অনিচ্ছাৰ ওপৰত দুৰ্য্যোধন আহি ৰাজসভাত পুনৰপি উপস্থিত হলহি।

অন্যমনস্ক দুৰ্য্যোধন আহি ৰাজসভাত পুনঃ আসন গ্ৰহণ কৰাত, পাণ্ডৱ-কটকী শ্ৰীকৃষ্ণদেৱে কুৰু-পাণ্ডৱৰ কটকীৰ বক্তব্য এই বুলি ব্যক্ত কৰিলে,—"হে বীৰবাহু কৌৰৱ-যুৱৰাজ! হে মোৰ বন্ধু দুৰ্য্যোধন! আপুনি জ্ঞানী বংশজ জ্ঞানী ৰাজপুৰুষ; এতেকে কোনো অনুচিত কাৰ্য্য আপোনাত শোভা নাপায়। অন্যায় আৰু অনুচিত কাৰ্য্য হীন, ক্ষীণ আৰু অজ্ঞান জাতীয় লোকৰ পক্ষে হে সম্ভৱ; কিয়নো, নীচবংশত উদ্ভৱ লোক হে সততে দুৰ্ব্বলচিতীয়া, দুৰ্ব্বলহৃদয়া, নীচমনা, লাজহীন আৰু অমানুহ হয়। যি আগন্তুক ফল আপুনি এতিয়া পাঙ্গিছে, তাৰ অপৰিহাৰ্য্য কাৰ্য্য নীচকুলোদ্ভৱ জ্ঞানহীন মানুহৰ পক্ষে হে সম্ভৱ। আপোনাৰ শ্ৰেণীৰ উচ্চকুলোদ্ভৱ লোকে সততে ধৰ্ম্মলৈ লক্ষ্য ৰাখি সত্যগ্ৰাহী ন্যায়সঙ্গত কাৰ্য্যলৈ হে আগ বাঢ়ে। আপুনি মনে মনে যি মহাৰণ ৰচনা কৰিছে, সি যে কুৰুকুল ধ্বংস কৰাৰ উপৰি ভাৰতত প্ৰলয় ঘটাব, তাক বহলাই ব্যাখ্যা কৰাৰ সকাম নাই। সেই কল্পিত মহাৰণ প্ৰকৃত হবলৈ পালে যে নৰ-ৰক্তেৰে ভাৰতভূমি প্লাৱিত হব, তাত লেশমানো সন্দেহ নাই। এতেকে, হে বন্ধু! মোৰ প্ৰস্তাব গ্ৰহণ কৰি, কুৰু-পাণ্ডৱৰ ভিতৰত সংপ্ৰীতি-সন্ধি সংগঠন কৰিবলৈ সক্ষম হওক। কৌৰৱ আৰু পাণ্ডৱৰ আঁতিগুৰি একেটা, মাথোন আগত গৈ দুফালে দুটা ফৈদৰ ঠাল মেলিছেগৈ। এতেকে, এই দুই ফৈদৰ মাজত মোৰ প্ৰস্তাবিত সন্ধি সংগঠন কৰি ঘাই গাডোখৰৰ পবালিছোৱা অক্ষুণ্ণ ৰাখিবলৈ চোৱাটো আপোনাৰ পক্ষে অতি শোভনীয় কাৰ্য্য হব। আৰু, সেয়ে হলে, আপোনাৰ পিতামহ ভীষ্মদেৱ, পিতৃব্য বিদুৰ, আচাৰ্য্য দ্ৰোণ প্ৰমুখ্যে সকলো ধৰ্ম্মানুৰাগী কৌৰৱনেতাই প্ৰাণত শান্তি পাব; এনেস্থলত মোৰ সন্ধিপ্ৰস্তাৱ আপুনি অপ্ৰতিবাদে আৰু অনতিপলমে গ্ৰহণ কৰা বাঞ্ছনীয় বোধ কৰোঁ। হে মোৰ প্ৰিয় বন্ধু! সংপ্ৰীতি-সন্ধি সংস্থাপন কৰি আগন্তুক কালান্তক মহাৰণ ওফৰাব পাৰিলে অকল যে আপোনাৰ বংশ-কুটুম্ব আৰু বন্ধু-বান্ধৱবেই উপকাৰ হব এনে নহয়, তাৰ দ্বাৰাই আপুনি পৃথিবীৰ মঙ্গল সাধন কৰি ইহকালৰ অৰ্থে অক্ষয় কীৰ্ত্তি আৰু পৰকালৰ নিমিত্তে অভগন পুণ্য আৰ্জ্জন কৰিব পাৰিব। ই মোৰ সৰল পৰামৰ্শ। মোক বিশ্বাস কৰে যদি, এই পৰামৰ্শ সজ বুলি আপুনি গ্ৰহণ কৰিব পাৰে। আপুনি সজ কুলোদ্ভৱ সুপুৰুষ। এতেকে, আপুনি সজ, সাধু, বিনয়ী, দয়ালু আৰু জ্ঞানী পুৰুষ। এনে পুৰুষে এনে সময়ত যেনে কাৰ্য্য কৰা স্বাভাৱিক আপুনি তেনে কাৰ্য্য কৰা বাঞ্ছনীয়। জ্ঞানীজনক সজ উপদেশৰ সঙ্কেত মাথোন লাগে; গতিকে এই বিষয়ে আৰু বঢ়াই কোৱাৰ সকাম নাই। কিন্তু, এই কথা মনত ৰাখিব যে, যি যথাসময়ত বন্ধুৰ সদুপদেশ অযাচিতে পায়ো গ্ৰহণ নকৰে, সি নিশ্চয় জ্ঞান-চকু মুদি আত্মবিনাশনৰ ফালে গতি কৰে; যি বন্ধুৰ পৰামৰ্শ আৰু গুৰুজনৰ উপদেশ উলঙ্ঘা কৰি মইমতীয়া ভাৱে কাৰ্য্যক্ষেত্ৰত নামেগৈ, তাৰ উদ্দেশ্য বিফল হয়, আৰু সি তাৰ পৰিণামত পৰিতাপ কৰিব লগাত পৰে; যি সংলোকৰ সদুপদেশলৈ পিঠি দি অসৎসঙ্গীৰ কু-পৰামৰ্শত বিভোল হৈ, তাৰ দুৰাগত ফল লাভলৈ উত্ৰাৱল হয়, তাৰ আপদত বাজে সম্পদ লাভ নহয়। হে কৌৰৱ! অলপ উদাৰচিত্তেৰে গমি চাওকচোন, যাৰে সৈতে আপুনি প্ৰাণান্তক আৰু বংশনাশক আগন্তুক মহাৰণ পাতিবলৈ উদ্যত হৈছে, সিবিলাক আন নহয়, আপোনাৰ নিজ বঙ্গহৰ মানুহ,—সিবিলাক কুৰুবংশৰে এটা সমনীয়া ঠাল পাণ্ডৱ ফৈদ। কৌৰৱ আৰু পাণ্ডৱৰ ভিতৰত ৰক্তমাংসৰ সম্বন্ধ বৰ্ত্তমান। আৰু ভাবি চাওক, সেই পাণ্ডৱক আপুনি কিমান যে অন্যায়-অত্যাচাৰ কৰিছে, তথাপি সিবিলাক সাধু, শান্ত আৰু ধৈৰ্য্যশীল। আপোনাৰ সকলো অন্যায় আচৰণ পঞ্চ-পাণ্ডৱে সহ্য কৰি আহিছে। ইমান সহনৰ পাচত, এতিয়া সিবিলাকে ধৰ্ম্মতঃ প্ৰাপ্য ৰাজ্য প্ৰাৰ্থনা কৰিছে মাথোন,—সিবিলাকক পৈতৃক ৰাজ্যৰ ন্যায়তঃ প্ৰাপ্য অংশ এৰি দিলেই আগন্তুক অপায়-অমঙ্গলৰ নিলগীয়া

ঢৌ নিলগতে মাৰ যায়। সেয়ে হলেই কৌৰৱ-পাণ্ডৱৰ মাজত সংপ্ৰীতি-সন্ধি সংস্থাপিত হোৱা দেখি আমিও প্ৰীতি লাভ কৰিব পাৰোঁহঁক। আৰু, আপুনি ধ্ৰুৱ জানিব যে, এই সন্ধিয়ে আন আটাইতকৈ আপোনাৰ হে অধিক উপকাৰ সাধিব,—আপুনি বিনাৰণে ৰাজচক্ৰৱৰ্ত্তী পাণ্ডু-ৰাজৰ দ্বাৰাই প্ৰতিষ্ঠিত বিস্তৃত ৰাজ্য আৰু সিবিলাকৰ আৰ্জ্জিত বিপুল ঐশ্বৰ্য্য মহা শান্তিৰে উপভোগ কৰিবলৈ পাব। কিয়নো, সিবিলাকে পৈতৃক ৰাজ্যৰ প্ৰাপ্য ভাগ বেচি বিচৰা নাই,—মাথোন পাঁচ পাণ্ডৱৰ অৰ্থে পাঁচখন গাওঁ! ইমানতো যদি আপুনি মোহ নেৰি যুদ্ধ পাতে, তেন্তে ইয়াৰ অৱশ্যম্ভাবী দুৰ্ঘোৰ পৰিণাম নিশ্চয় ভুঞ্জিব লাগিব। মোৰ বোধেৰে ঢুকি পোৱালৈকে মোৰ এই ধাৰণা যে, অজেয় পাণ্ডৱ ধনুৰ্ব্বীৰ অৰ্জ্জুনক জিনোতা কৌৰৱৰ মাজত বীৰ নোলাব, কিন্তু তেওঁৰ হাতত কৌৰৱ বীৰ সকলোটি এটি-এটিকৈ ৰণত পৰিব; আৰু অবাবত অকাৰ্য্যত নৰ-ৰক্তেৰে ভাৰত প্লাৱিত হব! তাৰপৰা আপোনাৰ অন্তিমত অনুতাপত বাজে আন কিবা লাভ হব নে?—কেতিয়াও নহয়। তাৰোপৰি, আপুনি নিজৰ পুত্ৰ-পৰিয়াল, ভাই-বন্ধু, আত্মীয়-কুটুম্ব এইসকলৰ পৰিণামলৈকো এবাৰ গমি চাওক; আপোনাৰ অপকৰ্ম্মৰ ফল-স্বৰূপে ইবিলাক ধ্বংস হব লাগে কিয়? আত্মদ্ৰোহী বংশনাশক নামেৰে আপুনি নিজৰ অখ্যাতি নিজে কৰ খোজে কাৰ উদগনিত? সদৌশেহত, মই পুনৰপি পৰামৰ্শ দিওঁ যে, আপুনি পাণ্ডৱৰ লগত সংপ্ৰীতি সন্ধি সংস্থাপন কৰি আগন্তুক অপায় খণ্ডাই পেলাওক। মই গা-দি ডাঠি কৈছোঁ যে, সন্ধি সংগঠিত হলে, পাণ্ডৱে আপোনাক কুৰুৰাজ-প্ৰতিনিধিৰূপে মানিব, আপোনাৰ পিতৃৰাজ ধৃতৰাষ্ট্ৰক সম্ৰাট বুলি স্বীকাৰ কৰিব। ইয়াতকৈ আৰু আপোনাক কি লাগিছে।"১

শ্ৰীকৃষ্ণদেৱৰ বক্তব্যৰ ছেদ পৰা মাত্ৰকে মহামতি ভীষ্মদেৱে জ্ঞানগৰ্ভ যুক্তিৰে সৈতে সন্ধিৰ আৱশ্যকতাৰ বিষয়ে দুৰ্য্যোধনক এটি সুদীৰ্ঘ বুজনি-বক্তৃতা শুনালে। তেওঁৰ মতেও আগন্তুক মহাৰণ লগা মানে কুৰুকুল ধ্বংস হোৱা, আৰু শ্ৰীকৃষ্ণৰ প্ৰস্তাবিত সংপ্ৰীতি সন্ধি সংগঠন অৰ্থাৎ কুৰুবংশ সবল কৰা বুজায়। ভীষ্মদেৱৰ পাচত, ধৰ্ম্মাত্মা বিদুৰে নীতিগৰ্ভ বুজনিৰে সৈতে সন্ধিৰ প্ৰস্তাব গ্ৰহণ কৰিবলৈ সৰল উপদেশ দিলে। তেওঁৰ পাচত, উপস্থিত ঋষি, মুনি, দেৱৰ্ষি, ৰাজৰ্ষি, ব্ৰহ্মৰ্ষি, আচাৰ্য্য, পুৰোহিত, সুপণ্ডিত আৰু সুবিজ্ঞ সভাসদসকল অনেকে অনেক প্ৰকাৰে বুজনি বক্তৃতাৰে সৈতে দুৰ্য্যোধনৰ মন ঘূৰাবলৈ চেষ্টা কৰিলে। সদৌশেহত, নিজৰ পিতৃ বৃদ্ধৰজা ধৃতৰাষ্ট্ৰয়ো অপত্যস্নেহেৰে কাতৰভাৱে আৰু করুণ সুৰেৰে সন্ধি-প্ৰস্তাবত মান্তি হবলৈ পুতেক দুৰ্য্যোধনক ৰবাবলৈ নথৈ যত্ন কৰিলে। কিন্তু, একোৰ মধ্যে আৰৰ দুৰ্য্যোধনক ৰবাব পৰা নহল, তেওঁ পূৰ্ব্বৰ সিদ্ধান্তৰপৰা চুলি এডালমানো নহটিল; বৰঞ্চ বিনাযুদ্ধে গাওঁ এখনো পাণ্ডৱক এৰি নিদিবলৈ তেওঁৰ প্ৰতিজ্ঞা দৃঢ়তৰ হে হল।

শেহান্তৰত, সদৌ আদেশ, উপদেশ, পৰামৰ্শ আৰু অনুৰোধৰ ফলস্বৰূপে সৰাৰে হৈ শ্ৰীকৃষ্ণৰ প্ৰতি দুৰ্য্যোধনে এইবুলি সমিধান দিলে,—"হে বৃষ্ণিবংশগৌৰৱ বাসুদেৱ! আপুনি ন্যায়পৰায়ণ আৰু মহাধাৰ্ম্মিক বুলি জগতে জানে। 'য'তে কৃষ্ণ, ত'তে ধৰ্ম্ম' এই স্বতঃসিদ্ধ বচন ইতিপূৰ্ব্বেৰেপৰা অনেকৰ মুখে অনেকবাৰ ব্যক্ত হৈছে। পাণ্ডৱ আৰু কৌৰৱক আপুনি সমান চকুৰে চায় বুলি সেইদিনা অৰ্জ্জুন আৰু মোৰ আগত আপুনি নিজ মুখে ব্যক্ত কৰিছিল। এনেস্থলত, আপুনি একপক্ষীয়া হৈ অতখিনি অনুচিত কথা মোক কিয় শুনালে? আপুনি বিশেষকৈ কেৱল মোৰ গাত হে সৰ্ব্বদোষ আৰোপ কৰিছে। আপুনি পাণ্ডৱৰ গাত লেশমানো দোষ নিদিয়ে; কিন্তু পদে-পদে মোৰ হে অপৰাধৰ ছিদ্ৰ বিচাৰিছে। আপুনি, বিদুৰ, পিতামহ, মোৰ পিতৃদেৱ আৰু সমবেত সুধীমণ্ডলীয়ে অকল মোকেই হে সৰ্ব্বদোষৰ ভাগী কৰিছে, আন কাৰো দোষ নেদেখে! কিন্তু মই

(১) ত্বামেৱ স্থাপয়িষ্যন্তি যৌৱৰাজ্যে মহাৰথাঃ।
মহাৰাজোঽপি পিতৰং ধৃতৰাষ্ট্ৰং জনেশ্বৰম্॥

মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১২৪ আধ্যা, ৬০ শ্লোক।

জানোঁ, মোৰ গাত কোনো দোষ নাই; মোৰ দৃঢ় বিশ্বাস, ইমানলৈকে মই কৰা কাৰ্য্যত অধৰ্ম্মাচৰণ হোৱা নাই।— পাণ্ডৱে পাশাত হাৰি ৰাজ্য, ধন, ঐশ্বৰ্য্য, সৰ্ব্বস্ব শকুনিৰ বৰীয়া কৰিছিল; মই বৰঞ্চ পাণ্ডৱ-সম্পত্তি ঘূৰাই দিবলৈহে আজ্ঞা দিছিলোঁ। পিচে, পাণ্ডৱে স্ব-ইচ্ছাৰে পুনৰ্ব্বাৰ পাশতি ধৰি পণত ঘাটি বনবাস খাটিব লগাত পৰিল। মোৰ কি দোষ? পাচত, পাশাত জিনি লোৱা পাণ্ডৱৰ ৰাজ্য-ঐশ্বৰ্য্য-সৰ্ব্বস্ব শকুনিয়ে বদান্যতা গুণেৰে মোক উপযাচি দান কৰিলে;—মই দান গ্ৰহণ কৰাৰ বাবে দায়ী নে? এইবাবেই এতিয়া পাণ্ডৱে আমাৰ পুৰুষানুক্ৰমিক চলি অহা চিৰবৈৰী পাঞ্চাল-ৰাজৰে সৈতে ষড়যন্ত্ৰ কৰি আমাৰ বংশ নাশ কৰি আমাৰ পৈতৃক আৰু স্বোপাৰ্জ্জিত ৰাজ্য-ধন কাঢ়ি লবলৈ উদ্যত হৈছে। ইমানতো পাণ্ডৱ নিৰ্দ্দোষী, আমি হে দোষী নে? আপোনাসকলৰ এয়েঁ সুবিচাৰ! সি যি হওক, মই যদি প্ৰকৃত ক্ষত্ৰিয়সন্তান হওঁ, তেন্তে মই কাচিতো ভয়ত ৰণ-বিমুখ নহওঁ। সমুখ-ৰণত পৰি স্বৰ্গগামী হবলৈ মই সৰ্ব্বান্তঃকৰণেৰে বাঞ্ছা কৰোঁ, কিন্তু ৰণ-বিমুখ হৈ, বা ৰণত পিঠি দেখুৱাই নৰকগামী হোৱাটো মোৰ অভিপ্ৰায় হব নোৱাৰে। ক্ষত্ৰিয়মাত্ৰৰে ৰণত শৰশয্যা বাঞ্ছনীয়, অক্ষত্ৰিয়ই মাথোন পাৰ্য্যমানে তাৰ অব্যাহতি বিচাৰে। শত্ৰুৰ আগত মূৰ নোদোঁৱাই আমি যদি ৰণত সবংশে নিধন হওঁ, তথাপি সি অনুতাপৰ কাৰণ হবগৈ নোৱাৰিব। পাণ্ডৱৰ পিতৃৰাজ্য ক'ত? মোৰ বৰ্ত্তমান পিতৃৰাজ্যত ন্যায়তঃ সিবিলাকৰ অংশ কেনেকৈ ৰব পাৰে? মোৰ নাবালক অৱস্থাত কু-পৰামৰ্শৰ ফলত মোৰ দুৰ্ব্বল-চিতীয়া পিতৃ অন্ধৰাজে ভুল কৰি যি ৰাজ্যাংশ পাণ্ডৱক ভোগ কৰিবলৈ দিছিল, সেই ৰাজ্য মই জীয়াই আছোঁমানে বেজী-আগ এটাৰ পৰিমাণো পাণ্ডৱক ঘূৰাই নিদিওঁ, ই ধ্ৰুৱ"[১]। ইমানকে কৈ ফেঁটীসাপৰ নিচিনাকৈ ফোঁপাই, সেহাই, জিভা লকলকাই দুৰ্য্যোধন ৰাজসভাৰপৰা উচাৎ মাৰি উঠি গুচি গল। শ্ৰীকৃষ্ণত ৰাজে সভাস্থ সকলোটি হতাশত জঁয় পৰিল।

এনে অৱস্থাত সভাক চেতনা দিয়াৰ অৰ্থে শ্ৰীকৃষ্ণদেৱে এইবুলি গৰিহণা দিবলৈ ধৰিলে,—"মই দেখিছোঁ এই সভাত উপস্থিত কুৰুনেতাসকল নিতান্ত দুৰ্ব্বল। এক দুৰ্য্যোধনৰ ভয়তে আটাইবিলাক কম্পমান। কিয়, এনেকৈ অভদ্ৰভাৱে ৰাজসভাক অৱজ্ঞা কৰি গুচি যাবলৈ নিদি, সিবিলাকে দুৰ্য্যোধনক বলেৰে ধৰি নাৰাখিলে কি বুলি! হে মহাৰাজ! মোৰ বোধেৰে এতিয়া আপুনি ৰাজকীয় ক্ষমতাৰে কাৰ্য্য হাতত লোৱাৰ সময় পৰিছে। আপুনি ততালিকে দুৰ্য্যোধনক আৰু তেওঁক কু-পৰামৰ্শ দিওঁতা কেইজনক ধৰাই আনি বন্দী কৰাওক; তাৰ পাচত সৰ্ব্ব-মঙ্গলজনক সংপ্ৰীতি সন্ধি সংস্থাপন কৰি আপোনাৰ বংশ-বিনাশনৰ আশঙ্কা গুচাবলৈ চাওক, আৰু তাৰ দ্বাৰাই আৰ্য্যাৱৰ্ত্তৰ আৰ্য্যজাতিক ৰক্ষা কৰক। আপোনাৰ দৰেই আমাৰ বংশৰ উগ্ৰসেন ৰজাৰো দশা মিলিছিল; পিচে তেওঁৰ দুৰাচাৰ পুত্ৰ কংস ৰজাক বধ কৰি মই যদুকুল নিষ্কণ্টক কৰিলোঁ। আপুনিও এতিয়া নিজ বংশ ৰক্ষাৰ্থে আৰু ভাৰতত আৰ্য্য-সভ্যতা জিলিকাই ৰাখিবৰ অৰ্থে, দুৰ্য্যোধন, কৰ্ণ, শকুনি আৰু দুঃশাসনক ধৰাই আনি ৰাজ-বন্দী কৰাওক, আগন্তুক অপায়-অমঙ্গল সকলো আপুনি খণ্ডিব। এটা জাতি ৰক্ষাৰ্থে এজন মানুহ বলি দিয়াটো শাস্ত্ৰ-সন্মত। এখন ৰাজ্যৰ হকে এটা জাতি, এটা সম্প্ৰদায়ৰ হকে এজন জ্ঞাতি, আৰু আন কি, এটি ধৰ্ম্মাত্মাৰ হকে সমস্ত পৃথিৱীক উছৰ্গা কৰাটোও অবিধি নহয়।[২] এতেকে, হে মহাৰাজ! এই আত্মদ্ৰোহী দুৰ্ম্মতিদলক বন্দী কৰি কৌৰৱ-পাণ্ডৱৰ মাজত সংপ্ৰীতি সন্ধি সংস্থাপনেৰে আপুনি আপোনাৰ স্বকুল আৰু সদৌ ক্ষত্ৰিয়কুলৰ মঙ্গল সাধন কৰোক।"

কিন্তু, সন্তান-সেকুৱা দুৰ্ব্বলচিতীয়া অন্ধৰজা ধৃতৰাষ্ট্ৰৰ

---

(১) যাৱদ্ধি তীক্ষ্ণায়া সূচ্যা বিধ্যেদগ্ৰেণ কেশৱ।
তাৱদপ্যপৰিত্যাজ্যং ভূমের্নঃ পাণ্ডৱান্ প্ৰতি॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্যান পৰ্ব্বাধ্যায়, ১২৭ আধ্যা, ২৫ শ্লোক।

(২) ত্যজেৎ কুলাৰ্থে পুৰুষং গ্ৰামস্যাৰ্থে কুলং ত্যজেৎ।
গ্ৰামং জনপদস্যাৰ্থে আত্মাৰ্থে পৃথিৱীং ত্যজেৎ॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্যান পৰ্ব্বাধ্যায়, ১২৮ আধ্যা, ৪৯ শ্লোক।

সাধ্য কি যে শ্ৰীকৃষ্ণৰ সেই তেজী উপদেশ তেওঁ অনুসৰণ কৰে! যি নৈতিক বলৰ প্ৰভাবেৰে আদৰ্শপুৰুষ ভগবান্ বাসুদেৱে আগন্তুক মহাৰণ ঘোষণা হোৱাৰ পাচতো শত্ৰুৰ মাজত সোমাই শত্ৰুপক্ষ কৌৰৱৰ ৰাজসভাত বহি, তাৰ অধিনায়ক দুৰ্যোধন আৰু তেওঁৰ অনুগামী নেতা মহাবীৰ কৰ্ণ, দুঃশাসন প্ৰভৃতি আৰু কূট-মন্ত্ৰী শকুনিক বন্দী কৰিবলৈ পৰামৰ্শ দি নিজৰ গালৈ আপদৰ বাট নিজে চোঙ্গাই লৈছিল, সেই নৈতিক বলসম্পন্ন বিৰাটপুৰুষ অলপ ধতুৱা ধৃতৰাষ্ট্ৰ পৰিয়ালত হে নালাগে, কুৰু-পাণ্ডৱ-পাঞ্চাল আদিৰ গাতো মহাপ্ৰতাপী বীৰ-সমাজৰ সেই নৈতিক বল নাছিল। আন হাতে, ধৃতৰাষ্ট্ৰৰ ইতিক্ষণত দুনাৱত ভৰি।- তেওঁ কৃষ্ণলৈ চালেও মৰে, দুৰ্যোধনলৈ চালেও ডৰে! তেনে অৱস্থাত তেওঁ অতি আতুৰভাৱে এই বুলি মনোভাৱ শ্ৰীকৃষ্ণত পুনঃ জনালে,—"হে পৰমপুৰুষ বৃষ্ণি-কোৱঁৰ! আপোনাৰ উপদেশ যে অতি সাৰুৱা, সেইটো মই মুক্তকণ্ঠে স্বীকাৰ কৰোঁ, সেই উপদেশ অনুসৰণ কৰিব পাৰিলে স্বৰ্গলৈ বাট মুকলি পাওঁ। কিন্তু কি কৰিম, মোৰ দুৰ্মতি পুত্ৰই মোক নামানে! তথাপি, আৰু এবাৰ চেষ্টা কৰি চোৱা যাওক, এইবাৰ দুৰ্যোধনক তাৰ মাতৃ মহাৰাণীৰ দ্বাৰাই বৰাই চোৱা যাওক।" এই বুলি ৰজাই দুৰ্যোধনক পুনঃ ৰাজসভালৈ আনিবলৈ বিদুৰক পাচিলে, আৰু ইহাতে মহাৰাণী গান্ধাৰীক ৰাজ-চ'ৰালৈ মাতি পঠিয়ালে।

যথাসময়ত মহাৰাণী গান্ধাৰী আৰু যুৱৰাজ দুৰ্যোধন ৰাজাজ্ঞানুসৰি ৰাজসভাত উপস্থিত হলহি। ৰজাৰ অনুজ্ঞা অনুসৰি ৰাণীয়ে যুৱৰাজ পুত্ৰৰ প্ৰতি এই বুলি কাতৰুক্তি কৰিলে,—"হে মোৰ প্ৰাণৰ পুতলি! হে মোৰ চেনেহৰ বৰপুত্ৰ! তুমি, তোমাৰ চেনেহৰ মাতৃৰ এটি অনুৰোধ নাৰাখিবা নে? মই তোমাক মাৰ হৈ মাতিছোঁ, তুমি শান্ত হৈ সাম্য ৰূপ ধৰি, ভূত ভৱিষ্যৎ পাহৰি, তোমাৰ পিতৃ ৰজা আৰু মোৰ শহুৰ ভীষ্মদেৱ প্ৰমুখ্যে সভাসদসকলৰ উপদেশ অনুসৰি, মহাজ্ঞানী শ্ৰীকৃষ্ণদেৱে আগবঢ়োৱা সন্ধিৰ প্ৰস্তাৱত মান্তি হৈ, নিজ বংশৰ, ৰাজ্যৰ আৰু ভাৰতৰ মঙ্গল সাধন কৰা। বোপা, তোমাৰ ওচৰত মোৰ এয়ে একেটি মাথোন অনুৰোধ, ইয়াৰ আগেয়ে তোমাক মই কোনো ৰাজকীয় কথাত ওঁহদৰে টানি ধৰা নাই, পাচতো নধৰোঁ,—এই একেটি মাথোন মোৰ অনুৰোধ ৰক্ষা পৰিলেই মই কৃতাৰ্থ মানিম। মোক নিৰাশ নকৰিবা, বাছা!"

কিন্তু, দুৰ্যোধনৰ পাষাণ হিয়া অলপো নগমিল। তেওঁ অচল-অটলভাৱে নিমাত হৈয়ে থাকিল, কিন্তু চেনেহৰ মাতৃদেৱীৰ কাতৰুক্তিৰ প্ৰত্যুত্তৰত এটি কথাও নকলে। সভা তৱধ লাগিল। সেই ছেগতে দুৰ্যোধনে মত্ত মাতঙ্গৰ দৰে ঘোৰ মূৰ্ত্তি ধৰি সভাবপৰা পুনৰপি উচাৎ মাৰি প্ৰস্থান কৰিলে।[২]

চতুঃচত্বাৰিংশ আধ্যা

কৃষ্ণ-বন্ধনৰ ষড়যন্ত্ৰ

দুৰ্যোধন, কৰ্ণ, শকুনি, দুঃশাসনক বন্দী কৰি, কুৰু-পাণ্ডৱৰ মাজত সংপ্ৰীতি সন্ধি সংস্থাপন কৰিবলৈ শ্ৰীকৃষ্ণই ৰজা ধৃতৰাষ্ট্ৰক সঙ্কেত দিয়া শুনি, সিফালে কৰ্ণ, শকুনি আৰু দুঃশাসনৰে সৈতে দুষ্ট দুৰ্যোধনে অধৰ্ম্মাচৰণলৈ আওকাণ কৰি কু-সঙ্গীৰ কু-পৰামৰ্শ আৰু কু-উদগনিত উত্তেজিত হৈ হাতেৰে বায়ু ধৰিবলৈ হাত মেলাৰ দৰে বাসুদেৱক বন্দী কৰিবলৈ উদ্যত হল![১] সভাৰপৰা দুৰ্যোধনে ঘনে-ঘনে উঠি গুচি যোৱাৰ সেয়ে আচল কাৰণ। মাজে মাজে ৰাজাজ্ঞাত দুৰ্যোধন ৰাজচ'ৰালৈ যোৱাৰপৰাও সিবিলাকৰ ষড়যন্ত্ৰত লাভ হে হৈছিল। কিয়নো, ইফালে ষড়যন্ত্ৰ চলি

---

(১) ততস্তৰাকামনাদৃত্য সোঽৰ্থৱন্মাতৃভাষিতম্।
পুনঃ প্ৰতস্থে সংৰংভাৎ সকাশমকৃতাত্মানাম্॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১৩০ আধ্যা, ১ম শ্লোক।

(২) ততঃ সভায়া নিৰ্গম্য মন্ত্ৰায়ামাস কৌৰবঃ।
সৌবলেন মতাক্ষেণ ৰাজ্ঞা শকুনিনা সহ॥
দুৰ্যোধনস্য কৰ্ণস্য শকুনেঃ সৌবলস্য চ।
দুঃশাসনচতুৰ্থানামিদমাসীদ্বিচেষ্টিতম্॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১৩০ আধ্যা।

থাকোঁতে, সিফালৰ আলোচনাৰ গতি-গোত্ৰ বুজি আগ বাঢ়িবলৈ ষড়যন্ত্ৰকাৰীদলক দুৰ্য্যোধনে এই বুলি উদগনি দি যায়হি, "হে মোৰ প্ৰাণবন্ধু কৰ্ণ! হে মোৰ বিশ্বস্ত মোমাই-মন্ত্ৰী শকুনি! হে মোৰ সুযোগ্য-ভাই দুঃশাসন! এইবাৰ ৰাজচ'ৰাত আমি আটাইকেইওজনক ৰাজকীয় বন্দী কৰাবলৈ বৃদ্ধৰাজক কূট্-কৃষ্ণই উদগনি দিয়াৰ প্ৰমাণ পাই আহিছোঁ। মোৰ লগতে বোলে কৰ্ণ, শকুনি আৰু দুঃশাসনকো বন্দী কৰিব লাগে, তেহে কৃষ্ণৰ সন্ধি সংস্থাপন সম্ভৱপৰ হয়। শুনি মোৰ গা জ্বলি আহিছে। এতেকে, আৰু পলম কৰাৰ সকাম নাই; যিমান সোনকালে হয়, ৰাজ-চ'ৰাতে কলিয়া কৃষ্ণক ধৰি বান্ধি বন্দী কৰিবগৈ হে লাগে।"

শ্ৰীকৃষ্ণ যেতিয়া কুৰু-ৰাজসভাত সংপ্ৰীতি সন্ধি সংস্থাপনৰ অৰ্থে আলোচনাত নিযুক্ত আছিল, তেতিয়া তেওঁৰ সুচতুৰ গা-চোৰা যাদৱ বীৰ সাত্যকি আৰু কৃতবৰ্ম্মাই চোৰাং চাই ৰাজসভাৰ বাহিৰে-ভিতৰে ক'ত কি হৈছিল তাৰ সম্ভেদ্ লৈ ফুৰিছিল। এনেতে, তত্বজ্ঞ মহাবুদ্ধিমান সাত্যকিয়ে সঙ্কেতত সেই ষড়যন্ত্ৰৰ শেষ-সিদ্ধান্তৰ বিষয়ে বুজি উঠিলে। তেওঁ ততালিকে কৃতবৰ্ম্মাক যাদৱ সৈন্যদল ৰাজদুৱাৰত সাজু কৰি ৰাখিবলৈ উপদেশ দি, ৰাজচ'ৰাত সোমাই শ্ৰীকৃষ্ণত সেই সম্ভেদ্ জ্ঞাপন কৰিলেগৈ। কিন্তু সেই সম্ভেদে মহাৰথী শ্ৰীকৃষ্ণক অলপো টলাব নোৱাৰিলে; তেওঁ স্থিৰ-ধীৰভাৱে সাত্যকিক এই উপদেশ দিলে যে, তেওঁ সেই সম্ভেদ্ কুৰুৰাজ আৰু সভাস্থ কৌৰৱ নেতাসকলক প্ৰকাশ্যে জনোৱাটো বাঞ্ছনীয় বোধ কৰে। সেই অনুসৰি, বাসুদেৱে স্বয়ং সেই সম্ভেদৰ বিষয়ে ৰজা ধৃতৰাষ্ট্ৰ প্ৰমুখ্যে কৌৰৱ ৰাজসভাত সমবেত ৰাইজক জ্ঞাপন কৰিলে। শুনি লাজ-ভয়-অপমানত কৌৰৱ-ৰাজসভা জয় পৰিল। কিয়নো, সেই অভদ্ৰাচৰণ আৰু অসভ্যানুষ্ঠান সুসভ্য আৰ্য্যজাতীয় কুৰুৰাজবংশলৈ হে নালাগে, অতি অসভ্য অনাৰ্য্যজাতীয় সামান্য বংশলৈকো শোভনীয় নহয়। যিহেতু কটকীক বন্দী কৰা অতি গৰ্হিত কাৰ্য্য; তাতে আকৌ সেই সময়ত শ্ৰীকৃষ্ণ কৌৰৱ-ৰাজপুৰীত আলহী। তাৰোপৰি, সেই কালত সেই সংসৰ্গত সমগ্ৰ ভাৰতে দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণদেৱক ভাৰতেশ্বৰ বুলি মানিছিল, আৰু পৃথিবীৰ আদৰ্শ পুৰুষ বুলি পূজিছিল; তেনেজন বিৰাটপুৰুষক বন্দী কৰিলে যে সমগ্ৰ ভাৰত কৌৰৱৰ বিপক্ষে থিয় হব আৰু সম্প্ৰতি কৌৰৱৰ ফলীয়া হোৱা ৰজা-মহাৰজাসকলেও শ্ৰীকৃষ্ণৰ কাৰণেই পাণ্ডৱৰ ফলীয়া হবগৈ, সেইটো দুৰ্ম্মতি দুৰ্য্যোধনৰ ধাৰণাই ধৰিবগৈ পৰা নাছিল।

এনেতে, শ্ৰীকৃষ্ণদেৱে তেওঁৰ চিৰলগৰীয়া মনমোহা মিচিকিয়া হাঁহি মাৰি লাহেকৈ আসন এৰি থিয় দি, ৰজালৈ চাই ৰাজসভাক এই বুলি সম্বোধন কৰিলে,—"হে মহাৰাজ! শুনিছোঁ বোলে দুৰ্য্যোধন আৰু তেওঁৰ লগৰীয়া ষড়যন্ত্ৰকাৰী-দলে মোৰ উদাৰ যুক্তি-পৰামৰ্শ শুনি ৰুষ্ট হৈ মোক ইয়াতে ধৰি বন্দী কৰিবলৈ ফন্দী পাতিছে। পাতক, তাত মোৰ অলপো অসন্তোষ নাই। সিবিলাকৰ শক্তি-সামৰ্থ্যই আছে যদি, মোক বন্দী কৰকহি, মই তাত অকণো বিষম নাপাওঁ। কিন্তু, আপোনালোকে অলপ দকৈ গমি চাব, সিবিলাকে মোক আক্ৰমণ কৰিব পাৰে নে, ময়ে সিবিলাকক আক্ৰমণ কৰিব পাৰোঁ। মোৰ এনে সমৰ্থ আছে যে, মই অকলেই সিবিলাকক বন্দী কৰিব পাৰোঁ। কিন্তু, মই থঙৰ ওপৰত কোনো পাপ-কাৰ্য্য নকৰোঁ। দেখিব, পাণ্ডৱৰ ৰাজ্য-ধন লাভলৈ উত্ৰাৱল হৈ কৌৰৱে নিজা ৰাজ্য-ধনো নিজে পাণ্ডৱৰ হাতলৈ পাৰ কৰিব। এইটো ধ্ৰুপ যে, মোক বন্দী কৰিবলৈ উদ্যত হৈ দুৰ্য্যোধনে যুধিষ্ঠিৰক অধিকতৰ বলবান কৰিলে মাথোন। আমি আজিয়েই ইবিলাকক সদলে ধৰি নি পাণ্ডৱক শোধাই দিবগৈ পাৰোঁ, তাৰ প্ৰত্যবায়েও মোক নাপায়। কিন্তু, তাৰ দ্বাৰাই মোক ক্ৰোধপৰবশ হোৱাটো বুজোৱা হব। ক্ৰোধৰ বশ হোৱা-টোৱেই পাপ। এতেকে, আগধৰি মই একো নকৰোঁ এথোন; মই অনুজ্ঞা কৰিছোঁ যে, দুৰ্ম্মতি দুৰ্য্যোধনে তেওঁৰ দুৰ্নীতিপৰায়ণ পৰামৰ্শদাতাদলৰে সৈতে লগলাগি মোৰ বিৰুদ্ধে আৰু যি পাৰে সিবিলাকৰ ইচ্ছানুৰূপ কাৰ্য্য কৰক।"[১]

(১) সন্নিধৌ তে মহাৰাজ ক্ৰোধজং পাপবুদ্ধিজম্।
এষ দুৰ্য্যোধনো ৰাজন্ যথেচ্ছতি তথাস্তু তৎ ॥
—মহাভাৰত; উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১৩০ আধ্যা, ২৯ শ্লোক।

শ্ৰীকৃষ্ণদেৱৰ মৰ্ম্মস্পৰ্শী হৃদয়গ্ৰাহী আৰু তীব্ৰ বাক্যে এইবাৰ দুৰ্ব্বলচিতীয়া অলপধতুৰা ধৃতৰাষ্ট্ৰ ৰজাকো উত্তেজিত কৰি তুলিলে। তেওঁ পুনঃ ধৰ্ম্মাত্মা বিদুৰক পঠিয়াই ষড়যন্ত্ৰকাৰী দুৰ্ম্মতিদলক ততালিকে ৰাজচ'ৰালৈ মতাই আনিলে। তাৰ পাচত, দুৰ্য্যোধনক মুখ্য কৰি দুৰ্ব্বুধীয়া কুৰ্চ্চুতীয়া দুৰাত্মাদলক তীব্ৰ কৰ্কৰ্থনাৰে সৈতে ৰজাই এই বুলি গৰিহণা দিবলৈ ধৰিলে,—"হেৰ, কুলাঙ্গাৰ দুৰ্য্যোধন! তই অতি নীচ, অতি পাপী আৰু অতিশয় দুৰাকাঙ্ক্ষী। সেই কাৰণে হে এই নীচাশয় দুৰাত্মাদলৰ লগত কু-সঙ্গতি পাতি অদ্ভুত আৰু অসাধ্য কাৰ্য্যলৈ উন্মত্ত হৈ তই আগ বাঢ়িছ। সেই কাৰণে হে এই স্বাৰ্থপৰ দুৰ্ম্মতিদলৰ উদগনিত মতলীয়া হৈ ভাৰত-বান্ধৱ মাধৱক বান্ধিবলৈ অবাঞ্ছনীয় ষড়যন্ত্ৰ কৰিছ! শিশুৱে হাত মেলি আকাশৰ চন্দ্ৰক ধৰিবলৈ বিচৰাৰ দৰে তই কু সঙ্গীৰ কু মন্ত্ৰণাত মতলীয়া হৈ জনাৰ্দ্দনক বন্দী কৰা অসাধ্য সাধন কৰিবলৈ ওলাইছ! যাৰে সৈতে সন্মুখ-সংগ্ৰাম পাতিবলৈ দেৱতা, গন্ধৰ্ব্ব, অসুৰ, উৰ প্ৰভৃতিয়েও সাহ নকৰে, সেই অজেয় কেশৱক জয় কৰিবলৈ তোক যি দুৰ্ম্মতিদলে কু-মতি দিছে, সিহঁতৰ সঙ্গ এৰি তই এতিয়াও শান্ত আৰু প্ৰকৃতিস্থ হবলৈ স্থিৰ কৰ। মই ভালেৰে কৈছোঁ, বোপা! গমি চোৱাঁ, হাতেৰে ধৰি বায়ু গ্ৰহণ কৰা নাযায়, জ্বলন্ত পাৱকক কেতিয়াও হাতেৰে খামুচি ধৰিব নোৱাৰি; মানৰ মূৰত পৃথিৱীখন তুলি লোৱা সম্ভৱপৰ নহয়,—সেই দৰেই বল কৰি কেশৱক ধৰি ৰাখিবলৈকো কাৰো সাধ্য নাই[১]। এতেকে, বাছা, এতিয়াও মোৰ কথা শুনাঁ, ধৈৰ্য্য ধৰাঁ, শান্ত হোৱাঁ, প্ৰকৃতিস্থ হোৱাঁ, দুৰাশাৰ কল্পনা এৰি পেলোৱাঁ; ইয়াকে কৰি নিলগৰ অপায় নিলগতে মাৰ নিয়াবলৈ চোৱাঁ।"

কুৰুৰাজ ধৃতৰাষ্ট্ৰ ক্ষান্ত হোৱা মাত্ৰকে পিতামহ ভীষ্মদেৱ, তেওঁৰ পাচত পিতৃব্য ধৰ্ম্মাত্মা বিদুৰ, তেওঁৰ পাচত কৃপাচাৰ্য্য, অশ্বত্থামা, প্ৰভৃতি কৌৰৱ মন্ত্ৰী, সেনাপতি, পাৰিষদসকলৰ ভিতৰত অগ্ৰগণ্য সাধু নেতাসকলে একে স্বৰেৰে কৃষ্ণবন্ধনাৰ্থে ষড়যন্ত্ৰকাৰীদলক জাউৰি-জাউৰিকৈ গৰিহণা দিবলৈ ধৰিলে, ভিন্ ভিন্ জনে বিধ-বিধকৈ বিভীষিকা প্ৰদৰ্শন কৰিলে। আন কি, দুৰ্য্যোধনে সেই নিন্দনীয় আৰু ঘৃণনীয় কাৰ্য্যৰ বাবে কৌৰৱপক্ষ পৰিহাৰ কৰা ভাব ব্যক্ত কৰিবলৈকো সিবিলাকে বাকী নাৰাখিলে। স্বপক্ষীয় নেতাসকলৰ, বিশেষকৈ ভীষ্মদেৱ আৰু দ্ৰোণাচাৰ্য্যৰো বিপৰ্য্যয় ভাব দেখি দুৰ্ম্মতি দুৰ্য্যোধন আৰু ষড়যন্ত্ৰকাৰীদলে বিপন্ন বোধ কৰিবলৈ ধৰিলে।

এনেতে, শ্ৰীকৃষ্ণদেৱে পুনৰপি স্থিৰ-গম্ভীৰ স্বৰেৰে দুৰাকাঙ্ক্ষী দুৰ্য্যোধনক এই কেই-আষাৰ অৱজ্ঞাসূচক তীব্ৰ বাক্য শুনালে,—"দুৰ্য্যোধন! তুমি মোক অকলশৰীয়া জ্ঞান কৰি আৰু নিশকতীয়া যেন দেখি বলেৰে বন্দী কৰিবলৈ প্ৰয়াস পাইছাঁ। কিন্তু, পুতৌ! ই তোমাৰ অজ্ঞতাজনিত বুদ্ধিহীনতাৰ চিন্ মাথোন।" এই বুলি খল্খল্কৈ এটি পূৰ্ণহাঁহি মাৰি,[২] দুপাশে গা-চোৰা হৈ থিয় দি থকা সশস্ত্ৰ যাদৱ মহাৰথ মহাবাহু সাত্যকি

(১) দুৰ্গ্ৰাহ্যঃ পাণিনা বায়ুৰ্দুস্পৰ্শঃ পাণিনা শশী।
দুৰ্ধৰা পৃথিৱী মূৰ্দ্ধাদুৰ্গ্ৰাহ্যঃ কেশৱো বলাৎ॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১৩০ আধ্যা, ৪২ শ্লোক।

(২) এই পূৰ্ণহাঁহিত ৰজা ধৃতৰাষ্ট্ৰ প্ৰমুখ্যে সমস্ত কুৰু-ৰাজসভাই শ্ৰীকৃষ্ণৰ অন্তৰত অনন্ত বিশ্বৰূপ দৰ্শন লাভ কৰিছিল বুলি মহাভাৰতে কয়। মানৱ অন্তৰত অনন্ত বিশ্বৰূপৰ স্থিতি প্ৰকৃত বুলি ধাৰণা কৰা নাযায় যদিও, সেই সাময়িক দৰ্শকৰ সেই ক্ষণিক ধাৰণা অপ্ৰাকৃতিক বুলিবও নোৱাৰি। কিয়নো, শ্ৰীকৃষ্ণৰ সন্মোহন ভাৱ-গতি, কথা-বাৰ্ত্তা আৰু হিয়াভেদী বাক্য প্ৰয়োগত সভাস্থ সকলো এনেভাৱে তন্ময় হৈছিল যে, তেওঁক সেই ক্ষণত সাক্ষাৎ ঈশ্বৰস্বৰূপ দেখা গৈছিল। এতেকে, শ্ৰীকৃষ্ণত ঈশ্বৰত্ব আৰোপ কৰিবলৈ মান্তি হব নোৱাৰা সকলেও কুৰুৰাজ-সভাৰ এই বিশ্বৰূপ দৰ্শনৰ দৃশ্য অলীক বা অতিপ্ৰকৃত সুবুলি প্ৰকৃত ঘটনা বুলিবলৈ মান্তি হব বোধ কৰোঁ। কিন্তু, আন এটা কথাই হে এই বিশ্বৰূপ-দৰ্শন ঘটনাক তল পেলাইছে। গীতাৰ ১১শ আধ্যাত ভগবান শ্ৰীকৃষ্ণই স্বয়ং অৰ্জ্জুনক এই বুলি কৈছে, "তোমাত বাজে, ইয়াৰ আগেয়ে, আন কেৱে মোৰ এই বিশ্বৰূপ দৰ্শন পোৱা নাই।" তেন্তে, পৰৱৰ্ত্তী ভীষ্মপৰ্ব্বত এই উক্তি হোৱাৰ স্থলত পূৰ্ব্বৱৰ্ত্তী উদ্যোগপৰ্ব্বত কুৰু-ৰাজসভাই বিশ্বৰূপ দৰ্শন কৰাটো কেনেকৈ সম্ভৱপৰ

আৰু কৃতবৰ্ম্মাৰ হাতত ধৰি নিৰ্ভীক-হৃদয় পৰমানন্দ মাধৱ গজেন্দ্ৰ গমনেৰে কুৰু-ৰাজচ'ৰাৰপৰা বাজ হৈ গুচি আহিল।

শ্ৰীকৃষ্ণদেৱ উঠি গুচি অহাত, সিফালে কুৰু-ৰাজসভা জঁয় পৰিল! ধৃতৰাষ্ট্ৰ, ভীষ্ম, দ্ৰোণ, বিদুৰ, কৃপ প্ৰভৃতি সাধু নেতাসকলে বিমোৰ হৈ বাসুদেৱৰ পিচে-পিচে বিদুৰৰ কুটীৰলৈকে আহি আগবঢ়াই থলেহি। বিদায়ৰ সময়ত ধৃতৰাষ্ট্ৰই আতুৰ হৈ বাসুদেৱত এই বুলি নিবেদন কৰিলে, —"আপুনি স্বচকুৰে দেখিলে, মোৰ দুৰ্ম্মতি পুত্ৰগণে মোক নামানে; মই কি কৰিম!" তদুত্তৰত ভীষ্ম, দ্ৰোণ, বিদুৰ প্ৰমুখ্যে কৌৰৱপক্ষীয় নেতাসকললৈ চাই শ্ৰীকৃষ্ণদেৱে এই বুলি শেষ-সমিধান দি বিদায় ললে,—"আপোনাসকলেও স্ব-চকুৰে দেখিলে আৰু স্ব-কাণেৰে শুনিলে যে দুৰ্ম্মতি পুত্ৰক দমাবলৈ বা ঘূৰাবলৈ ধৃতৰাষ্ট্ৰ ৰজাৰ শক্তি-সাধ্য নাই; এতেকে সদোশেহত আপোনাসকলৰ কাৰ্য্যতঃ সিদ্ধান্তমতে, কুৰুক্ষেত্ৰযুদ্ধ অপৰিহাৰ্য্য বুলি ধৰ্ম্মৰাজ যুধিষ্ঠিৰলৈ সমিধান লৈ মই এতিয়া উপপ্লবালৈ উলটি যাওঁ গৈ।"[১]

পঞ্চচত্বাৰিংশ আধ্যা

কুন্তী-কৃষ্ণ-সংবাদ

কুৰুৰাজসভাৰপৰা বিদায় লৈ গৈ, শ্ৰীকৃষ্ণদেৱে বাজে-বাজে ধৰ্ম্মাত্মা বিদুৰৰ কুটীৰত প্ৰৱেশ কৰিলেগৈ। তালৈ যোৱাৰ ঘাই উদ্দেশ্য আছিল, তেওঁৰ পেহীদেৱক পঞ্চ-পাণ্ডৱৰ মাতৃ কুন্তীদেৱীৰ ওচৰত বিদায় লোৱা। কিয়নো, তেতিয়া তাত বাসুদেৱে প্ৰাণেসৈতে ভাল পোৱা মুঠেই দুটি নৰ-প্ৰাণী আছিল,—বিদুৰ আৰু কুন্তী। বিদুৰৰপৰা বাজ-দুৱাৰতে বিদায় লোৱা হৈছিল, মাথোন কুন্তীদেৱীক বিদায়-সম্ভাষণ জনাবলৈ বাকী আছিল। সেই বিদায় দিয়া-লোৱা হওঁতে কুন্তী-কৃষ্ণৰ মাজত নীৰলে বৰ দীঘলীয়াকৈ ভিতৰ-বিশ্বাসৰ ভালেমান কথা-বাৰ্ত্তা হয়; তেতিয়া সিবিলাকৰ ওচৰত আন কোনো উপস্থিত নাছিল।[২]

ভালেমানপৰ ভিতৰ-বিশ্বাসৰ কথা-বাৰ্ত্তা হোৱাৰ পাচত, কুন্তীদেৱীয়ে তেওঁৰ পুত্ৰগণলৈ শ্ৰীকৃষ্ণদেৱৰ আগত মাতৃৰ উপদেশ স্বৰূপে গৃহনীতি, সমাজনীতি বিষয়ক ভালেমান সাৰগৰ্ভ কথা কবলৈ ধৰিলে। তেওঁ বৰপুত্ৰ ধৰ্ম্ম-যুধিষ্ঠিৰলৈ এই বুলি উপদেশ দিলে, "প্ৰজাই যিমান ধৰ্ম্ম উপাৰ্জ্জন কৰে, ৰজাই তাৰ চতুৰ্থ ভাগ লাভ কৰে; কিন্তু দুৰ্ব্বল আৰু অতিপাত দয়ালু ৰজাই প্ৰজাৰ অৰ্জ্জিত সেই ধৰ্ম্মৰ লেশমানো পাব নোৱাৰে। যুধিষ্ঠিৰে এতিয়া যিভাৱে জীৱনধাৰণ কৰিছে, সি ৰাজৰ্ষিসকলৰ ধৰ্ম্ম নহয়। অৱশ্যে, দানতো ধৰ্ম্ম আছে, বলপ্ৰয়োগতো ধৰ্ম্ম বৈছে, অমৃতবাণীৰেও ধৰ্ম্ম আৰ্জ্জিব পাৰি; কিন্তু ধাৰ্ম্মিক পুৰুষে ৰাজ্যলাভ কৰি সকলোবিধ ধৰ্ম্মকে লাভ কৰিব পাৰে। বিশেষতঃ, ক্ষত্ৰিয়-সন্তান হৈ আপদৰপৰা নিজ-বাহুবলেৰে পৰিত্ৰাণ লাভ কৰাটো পিতৃধৰ্ম্ম; এই ধৰ্ম্মলাভৰপৰা বিমুখ হলে পাপ সঞ্চয় কৰা হয়। এতেকে, ৰাজধৰ্ম্ম অনুসৰি যেন যুধিষ্ঠিৰ উলাহেৰে যুদ্ধলৈ অগ্ৰসৰ হয় মোৰ এই বাঞ্চা।" তাৰ পাচত, ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱলৈ সিবিলাকৰ শাৰীৰিক আৰু মানসিক বল-বীৰ্য্য আৰু প্ৰবৃত্তি অনুযায়ী ভাগে ভাগে সুকীয়া-সুকীয়াকৈ যথাসাময়িক মাতৃ-উপদেশ দি লৈ, কুন্তীদেৱীয়ে বাসুদেৱৰ জৰিয়তে আদৰৰ বোৱাৰী

হয়? এতেকে, ই যে অধৈৰ্য্য উদ্ভ্ৰান্ত কবিৰ কল্পনাসম্ভূত প্ৰক্ষিপ্ত পদাৰ্থ তাত আৰু সংশয় নাই।

(১) বদত্যনীশমাত্মানং ধৃতৰাষ্ট্ৰো মহীপতিঃ।
আপৃচ্ছে ভৱতঃ সৰ্ব্বান্ গমিষ্যামি যুধিষ্ঠিৰম্॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১৩১ আধ্যা, ৩৮ শ্লোক।

(২) কৃষ্ণ-কুন্তীৰ এই ভিতৰবিশ্বাসী কথাৰ এছোৱা প্ৰকাশ্য আৰু ইছোৱা গুপুত। গুপুতছোৱাৰ সঙ্কেত মাথোন পোৱা যায়; আচলতে কি বিষয়ক কি আলোচনা বা কথা-বাৰ্ত্তা হৈছিল, তাৰ সম্ভেদ্ পাবলৈ নাই। কিন্তু, আমাৰ অনুমান হয় যে, সেই ছেগতে কুন্তীদেৱীয়ে শ্ৰীকৃষ্ণৰ আগত কৰ্ণৰ জন্ম-কাহিনীৰ তথ্য ব্যক্ত কৰিছিল; আৰু সেই সুযোগতে শ্ৰীকৃষ্ণই কৰ্ণবীৰক হাত কৰি লৈ আগন্তুক মহাৰণ মাৰ নিয়াবলৈ চেষ্টাত ধৰিছিল।—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১৩২ আধ্যা।

কৃষ্ণা-দ্ৰৌপদীলৈ এই বুলি একেষাৰ আশীৰ্ব্বাদ-সূচক উপদেশবাৰ্ত্তা দিলে, "হে কল্যাণী! হে যশস্বিনী পাণ্ডু-বোৱাৰী! মোৰ পুত্ৰগণৰ প্ৰতি তুমি যি শিষ্টাচাৰ আৰু শুশ্ৰূষা কৰিছা, আৰু আগন্তুক মহাৰণলৈ তোমাৰ পতিগণক যি ওজস্বিনী উদগনি দিছা, সেইবাবে মই তোমাৰ শলাগ লৈছোঁ, আগলৈকো যেন ঈশ্বৰে তোমাক সেই সজ জ্ঞান-বুদ্ধি দিয়ে, মোৰ এই আশীৰ্ব্বাদ।"[1] ইত্যাদি সদালাপৰ পাচত, শ্ৰীকৃষ্ণদেৱে কুন্তীদেৱীৰ ওচৰত সভক্তিৰে বিদায় লৈ প্ৰস্থান কৰিলে।

ষট্‌চত্বাৰিংশ আধ্যা

কৃষ্ণ-কৰ্ণ-সংবাদ

ধৰ্ম্মৰ আধাৰ সুদূৰদৃষ্টিৰে সৃষ্টিনীতিজ্ঞ আদৰ্শপুৰুষ শ্ৰীকৃষ্ণদেৱে ভাবি দেখিলে যে, কুৰুক্ষেত্ৰৰণৰ পৰিণামত কুৰুবংশ ধ্বংস হোৱাৰ লগে লগে আৰ্য্য সভ্যতাৰ গৌৰৱস্থল সমস্ত আৰ্য্যাৱৰ্ত্ত বিনষ্ট হব, ভাৰতত জ্ঞানৰ পোহৰ মাৰ যাব, ক্ষত্ৰিয় তেজ পানী হব; তাৰোপৰি তেওঁৰ কোটি-কোটি ভক্ত নৰ অবাবত অকালত আৰু অযাচিতে নৰ-বলি পৰিব, আৰু নৰৰক্তেৰে ভাৰত প্লাবিত হব, অসংখ্যাত অনাথিনী নাৰীৰ বিলাপত বসুমতীয়ে ফাট দিব লাগিব; মূঠৰ ওপৰত, ভাৰতক আকৌ অজ্ঞান-তিমিৰে ছাটি পোলাব, শেহান্তৰত ভাৰত বিদেশী সভ্যতাৰ শৰণাগত হব। এই ৰাজনৈতিক চিন্তাৰে বেদজ্ঞ, শাস্ত্ৰজ্ঞ, আধ্যাত্মিকতত্ত্বজ্ঞ আৰু ধৰ্ম্মনীতি, সমাজনীতি আৰু ৰাজনীতিবিশাৰদ, বিদগ্ধ পণ্ডিত, আদৰ্শ বিৰাটপুৰুষ শ্ৰীকৃষ্ণদেৱে সেই নৰনাশী আগন্তুক মহাৰণ খণ্ডাবলৈ আৰু কিবা উপায় আছে নে কি তাকে ভাবি-ভাবি চিন্তাযুত হৈ ওলটা-ৰথত চৰিলেগৈ।

কুৰুক্ষেত্ৰ মহাৰণৰ প্ৰস্তাৱনাৰেপৰা শ্ৰীকৃষ্ণদেৱে তাৰ বিৰুদ্ধে আত্ম-অভিমত প্ৰকাশ কৰি আহিছিল। পোন্-প্ৰথমে বিৰাটনগৰত কৌৰৱ-পাণ্ডৱৰ মাজত যুদ্ধ লগাৰ আগন্তুক দেখাৰেপৰা তেওঁ তাক খণ্ডাবলৈ নানা উপায় চিন্তিলে, কিন্তু একোতে গুণ নধৰিলে। তাৰ পাচত, যেতিয়া অৰ্জ্জুন আৰু দুৰ্য্যোধনে তেওঁৰ সহযোগিতা লাভ কৰিবলৈ যায়, তেতিয়াও শ্ৰীকৃষ্ণদেৱে আগন্তুক ৰণত অগত্যা লিপ্ত হব লাগিলেও নিজে অস্ত্ৰ নধৰিবলৈ প্ৰতিজ্ঞা কৰিছিল, তথাপি সেই ৰণৰ প্ৰতিদ্বন্দ্বী দুদল ক্ষান্ত নহল! তাৰোপাচত, কৃষ্ণ-সঞ্জয়-সংবাদৰ ফলস্বৰূপ সংপ্ৰীতি সন্ধি সংস্থাপনৰ উদ্দেশে বাসুদেৱ পাণ্ডৱ-কটকী-ৰূপে কুৰুৰাজসভাত উপস্থিত হলগৈ; তাৰো একো ফল নফলিল! ইমানতো হত'শ নহৈ, অক্লান্ত ভাবুক, অসাধাৰণ অধ্যৱসায়ী নৰৰত্ন কৃষ্ণদেৱে আগন্তুক ৰণ খণ্ডনাৰ্থে আৰু কি উপায় উদ্ভাৱন কৰিব পাৰি তাকে গুণি-গাঁথি নীৰৱে ৰথত চৰি উপপ্লব্যত প্ৰতিষ্ঠিত পাণ্ডৱ শিবিৰমুখে উলটি গৈ আছে, এনেতে কৌৰৱ সেনাপতি কৰ্ণবীৰ কোনো কাৰ্য্যোপলক্ষে ওলাই যাওঁতে বাটতে তেওঁৰে সৈতে ভেঁটা-ভেঁটি হয়, সেই ছেগতে মধুসূদনে যথাসমাদৰে কৰ্ণবীৰক নিজৰ ৰথত তুলি লৈ, ৰথ অতি লাহে-ধীৰে চলাবলৈ আজ্ঞা দিলে।[2]

প্ৰত্যুৎপন্নমতি অসামান্য ৰাজনৈতিক পণ্ডিত মহাজ্ঞানী শ্ৰীকৃষ্ণদেৱে গমি চালে যে, পাণ্ডৱপক্ষত তেওঁ নিজে যেনে, কৌৰৱপক্ষত কৰ্ণ তেনে। তেওঁ নেতৃত্ব অস্বীকাৰ কৰিলে পাণ্ডৱে যেনেকৈ ততালিকে ৰণলৈ পিঠি দিব, কৰ্ণই সেনাপতিত্ব ত্যাগ কৰিলেও কৌৰৱে তেনেকৈ ৰণত্যাগ কৰিব। কিয়নো, কৰ্ণতে কৌৰৱৰ ঘাই বল, কৰ্ণৰ বলতে হৰিভৰ দি দুৰ্য্যোধনে যুদ্ধলৈ একাণপতীয়াকৈ আগ বাঢ়িছে। এতেকে, কৰ্ণক যদি কিবা উপায়েৰে

(১) সৰ্ব্বধৰ্ম্মবিশেষজ্ঞাং স্নুষাং পাণ্ডোৰ্মহাত্মনঃ।
ব্ৰূয়া মাধৱ কল্যানীং কৃষ্ণ কৃষ্ণাং যশস্বিনীম্॥
যুক্তমেতন্মহাভাগে কুলে জাতে যশস্বিনি।
যন্মে পুত্ৰেষু সৰ্ব্বেষু যথাৱত্বমৱৰ্ত্তিথাঃ॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১৩৭ আধ্যা, ১২—১৩ শ্লোক।

(২) ৰাজপুত্ৰৈঃ পৰিবৃতস্তথা ভৃত্যৈশ্চ সঞ্জয়।
উপাৰোপ্য ৰথে কৰ্ণং নিৰ্যাতো মধুসূদনঃ॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১৪০ আধ্যা, ১ম শ্লোক।

আনফলীয়া কৰিব পৰা যায়, তেন্তে আগন্তুক মহাৰণ আয়োজনতে মাৰ যাব। ইয়াকে লক্ষ্য কৰি, বাগ্মীপ্ৰৱৰ বৃষ্ণিবংশধৰ যাদৱশ্ৰেষ্ঠ বাসুদেৱে আত্মীয়-কুটুম্ব ভোজ-বংশোদ্ভূত কৰ্ণৰ আগত কৰ্ণ-কাহিনী ব্যাখ্যা কৰিবলৈ ধৰিলে।

শ্ৰীকৃষ্ণই বিহিত সম্মান আৰু বিশেষ প্ৰীতিৰ সৈতে কৰ্ণক এই বুলি সম্বোধন কৰিলে,—"হে কৰ্ণবীৰ! আপুনি প্ৰকৃততে কোন্ আপুনি জানে নে? আপোনাৰ জন্ম-কাহিনী পৰস্তে বহলকৈ কোৱা যাব। সম্প্ৰতি কওঁ, আপুনি অধিৰথ আৰু ৰাধাৰ পুত্ৰ নহয়[১], কুন্তীদেৱীৰ হে বৰপুত্ৰ। ভোজবংশী কোৰৰ পাণ্ডুৱে কুন্তীদেৱীক বিয়া কৰোৱাৰ আগেয়েই, অকুমাৰীকালত পিতৃঘৰত কুন্তীৰ গৰ্ভত আপুনি জন্মগ্ৰহণ কৰে। এনে পুত্ৰক শাস্ত্ৰমতে মানসপুত্ৰ বা ধৰ্মপুত্ৰ বোলা যায়। এতেকে, আপুনি পাণ্ডুৰ ধৰ্মপুত্ৰ। এতিয়া আপোনাৰ সৈতে ছয়-পাণ্ডৱ বৰ্ত্তমান। ইমান দিনে জনাজাত হোৱা নাই কাৰণে হে আপোনাৰ কনিষ্ঠ দ্বিতীয় পাণ্ডৱ যুধিষ্ঠিৰ পিতৃৰ ৰাজ্যত ৰজা হৈছিল। কিন্তু, এই কথা যুধিষ্ঠিৰে অদ্যাপি নাজানে। আৰু, মোৰ পেহীদেউ কুন্তীদেৱী আৰু মই এই দুইত বাজে আন কেৱে ইয়াৰ সম্ভেদ্ নাপায়। এতিয়া সেই কথা মই পঞ্চ-পাণ্ডৱক জনাই লৈ, প্ৰচাৰ কৰি দিবলৈ স্থিৰ কৰিছোঁ। তেতিয়া ততালিকে পঞ্চ-পাণ্ডৱে আপোনাৰ শৰণ গ্ৰহণ কৰিব। যুধিষ্ঠিৰে মহানন্দে ৰাজ্য-ধন সমুদায় আপোনাক অৰ্পণ কৰি নিজে অনুজ-অনুচৰ হৈ চলিব। আজি পৃথিবীত অদ্বিতীয় মহাবাহু ভীমসেন, আপোনাতকৈ একাঠী চৰা ধনুৰ্ব্বীৰ মহাৰথ অৰ্জ্জুন, মহাবীৰ আৰু মহামন্ত্ৰী মাদ্ৰীনন্দন নকুল আৰু সহদেৱ এই চাৰি দিগ্বিজয়ী ভ্ৰাতৃবীৰেও আজ্ঞাবহ অনুজৰ ধৰ্ম্মপালন কৰিব। আপুনি পাণ্ডুৰ প্ৰথম পুত্ৰ, প্ৰথম পাণ্ডৱ। গতিকে, পাণ্ডুৰ ৰাজ্যত আপুনি ৰজা হোৱাটো অবৈধ নহয়। মই সেই বিষয় শাস্ত্ৰসন্মত কৰিবলৈ গাত লৈছোঁ। এতেকে, ব'লক, উপপ্লব্যত আপোনাক নি বাজে বাজে উপস্থিত কৰাওঁগে। তাত যুদ্ধাৰ্থে সমবেত হোৱা ৰজা-মহাৰজা আৰু ৰথী-মহাৰথীসকলে পৰম উলাহেৰে আপোনাৰ সেনাপতিত্ব গ্ৰহণ কৰি ৰণক্ষেত্ৰলৈ অগ্ৰসৰ হব; ভোজ আৰু বৃষ্ণি ফৈদীয়া বীৰসকলৰে সৈতে মই আপোনাৰ অনুগামী হবলৈ সাজু আছোঁ। এতেকে, আপুনি এই সোণাময় ছেগ নেৰিব।"[২]

শ্ৰীকৃষ্ণৰ মৌ-সনা কথাত কৰ্ণ মুগ্ধ হল। তেওঁ প্ৰেম-ভক্তিপূৰ্ণ নয়নেৰে শ্ৰীকৃষ্ণৰ আপাদমস্তক নিৰীক্ষণ কৰিবলৈ ধৰিলে। হঠাৎ আত্মজন্মৰ বৃত্তান্তৰ স্বৰূপ তথ্য বাসুদেৱ হেন তথ্যজ্ঞ পণ্ডিতৰ মুখে শুনি ৰাধানন্দন স্তম্ভিত হল। অযাচিতে অভাবনীয় ৰাজ্যেশ্বৰ হোৱাৰ ধ্ৰুৱ সঙ্কেতে অধিৰথতনয়ক বিস্ময় মনাই তৰধ লগালে। ৰাজচক্ৰবৰ্ত্তী ৰাজাধিৰাজ মহাৰাজ যুধিষ্ঠিৰৰ পক্ষাৱলম্বী পাঞ্চালপতি প্ৰমুখ্যে ভাৰতৰ অগ্ৰগণ্য ৰজা-মহাৰজাসকল, অদ্বিতীয় দিগ্বিজয়ী মহাবাহু মহাৰথ ভীমাৰ্জ্জুন আৰু নকুল-সহদেৱ আৰু যাদৱ-গৌৰৱ ভোজ আৰু বৃষ্ণি ফৈদৰ নেতাৰূপে স্বয়ং বাসুদেৱ এই সকলৰ ওপৰত ঘাই-সেনাপতিৰ বাব লৈ কুৰুক্ষেত্ৰ হেন মহাৰণৰ মহাক্ষেত্ৰত অৱতীৰ্ণ হোৱা বীৰো-চিত উলাহে কুন্তীৰ প্ৰথম সন্তান পাণ্ডুৰ জ্যেষ্ঠ ধৰ্ম্মপুত্ৰ

---

(১) কানীনশ্চ সহোঢ়শ্চ কন্যায়াং যশ্চ জায়তে।
বোঢ়াৰং পিতৰং তস্য প্ৰাহুঃ শাস্ত্ৰবিদো জনাঃ॥
সোঽসি কৰ্ণ তথা জাতঃ পাণ্ডোঃ পুত্ৰোঽসি ধৰ্ম্মতঃ।
নিগ্ৰহাদ্ধৰ্ম্মশাস্ত্ৰাণামেহি ৰাজা ভৱিষ্যসি॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১৪০ আধ্যা, ৮—৯ শ্লোক।

অধিৰথ সূত জাতৰ এজন সাৰথি। তেওঁৰ ভাৰ্য্যা ৰাধা। কুন্তীদেৱীয়ে অকুমাৰী কালত পুত্ৰ প্ৰসৱ কৰা লাজ ঢাকিবৰ অভিপ্ৰায়ে কৰ্ণ জন্ম হোৱা মাত্ৰকে সেই ওপজা-সন্তানটি এটা চকুত ভৰাই ঢাকোন দি নৈত উটাই দিয়ে। চক উটি গৈ গৈ স্নান কৰি থকা অধিৰথৰ কাষ চাপিলগৈ। তেওঁ আথে-বেথে তুলি লৈ গৈ সেই চকৰে সৈতে সেই কেঁচুৱা ল'ৰাকণ তেওঁৰ ভাৰ্য্যা ৰাধাক গতাই দিলেগৈ। পুত্ৰহীনা ৰাধাই অতি যতনেৰে তুলি-তাপি কৰ্ণক ডাঙৰ-দীঘল কৰি পুত্ৰৰূপে গ্ৰহণ কৰিলে।

(২) ভুঙ্ক্ষ্ব ৰাজ্যং মহাবাহো ভ্ৰাতৃভিঃ সহপাণ্ডবৈঃ।
জপৈৰ্হোমৈশ্চ সংযুক্তো মঙ্গলৈশ্চ পৃথগ্বিধৈঃ॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১৪০ আধ্যা, ২৫ শ্লোক।

কৰ্ণবীৰক ক্ষন্তেকলৈ বিচলিত কৰিলে। তেওঁ একেৰাহে মহাভাগ দৈৱকীনন্দন বাসুদেৱলৈ ৰ-লাগি চাই চাই ঠৰ লাগিল। কিন্তু, পৰম চৰিত্ৰবান আদৰ্শ-পুৰুষ কৰ্ণবীৰে নৈতিক বলৰ প্ৰভাৱেৰে সেই সকলো প্ৰলোভন জিনি, ততালিকে পুনঃ প্ৰকৃতিস্থ হৈ, এই বুলি কৃষ্ণ-বাণীৰ সমিধান দিলে,—"হে কৃষ্ণ! আপুনি যে মোৰ ভালৰ নিমিত্তে হে, মোৰ লাভৰ অৰ্থে হে, আৰু মোৰ প্ৰতি স্নেহৰ হেতুকে হে এইখিনি মোক বন্ধুৰ উপদেশ দিছে, তাত ধনিষ্ঠামানো সন্দেহ নাই। আপোনাৰ শ্ৰীমুখৰ সু-বাণী কদাপি সন্দেহ-জনক হব নোৱাৰে। মই ধ্ৰুৱপকৈ মানি লৈছোঁ যে মোক গৰ্ভত স্থানদাতৃ মাতৃ কুন্তীদেৱীৰ মই প্ৰথম সন্তান। গতিকে মই শাস্ত্ৰমতে পাণ্ডুৰ প্ৰথম ধৰ্ম্মপুত্ৰ। কিন্তু, সেই বুলি মানৱী ধৰমৰপৰা পিছলিবলৈ মই অক্ষম, মোক আপুনি ক্ষমা কৰিব। মোৰ পক্ষে অধিৰথ আৰু পাণ্ডু দুয়ো সমান, দুয়ো মোৰ ধৰ্ম্মপিতৃ। মাতৃ হিচাপেও কুন্তী আৰু ৰাধা সমতুল্যা মাতৃ, মোৰ ওপৰত দুইৰো সমান অধিকাৰ। কাৰণ, এগৰাকীয়ে মোক জন্মদান দিলে, আৰু ইগৰাকীয়ে মোক জীৱদান দিলে। এতেকে, এই জীৱনধাৰী হিচাপে মই ৰাধা মাতৃৰ ওচৰত অধিকতৰ কৃতজ্ঞ, এই জীৱন-ধাৰণৰ কালত মই তেওঁৰ বুকুৰপৰা ওলাই এতিয়া কুন্তী মাতৃৰ কোলালৈ গলে মই কৃতঘ্ন হব লাগিব। অৱশ্যে, ইয়াৰ বিপৰ্য্যয়মূলক পটন্তৰৰ অভাব নাই,—আপোনাত সেই পটন্তৰ জিলিকিছে। কিন্তু, আপোনাৰ সেই পটন্তৰ মোৰ গাত নাখাটে, কাৰণ, মই মানৱ প্ৰেমিক, কিন্তু আপুনি প্ৰাকৃতিক দৈৱ প্ৰেমিক। তাৰোপৰি, মই অধিৰথৰ স্বজাতীয় কন্যাৰ পাণিগ্ৰহণ কৰি বহুকাল সংসাৰ-যাপন কৰিছোঁ, আৰু সেই ভাৰ্য্যাৰপৰা মোৰ পুত্ৰ-কন্যা, নাতি-নাতিনী আদি বাঢি সাংসাৰিক মায়াজালে মোক মেৰাই থৈছে। সেই মায়াজাল ফালি বাজ হৈ যাবলৈ মই অতি দুৰ্ব্বল। এতেকে, আপুনি মোক ক্ষমা কৰিব।"[১]

এই খিনিতে ভাবৰ ছেদ পেলাবৰ অৰ্থে মুহূৰ্ত্তমান বৈ, সংসাৰধৰমী ন্যায়বান কৰ্ণবীৰে পুনৰপি এইবুলি কবলৈ ধৰিলে,—"হে কৃষ্ণ! আৰু এটা কথা ভাবি চাবলগীয়া যে, মই দুৰ্য্যোধনৰ আশ্ৰয়ত বিগত বাৰ বছৰকাল মহাসুখেৰে ৰাজ্যভোগ কৰিব লাগিছোঁ, আৰু আনহাতে মোৰ বলতে সবল হৈ তেওঁ আগন্তুক কুৰুক্ষেত্ৰ মহাৰণলৈ নিশ্চিন্তচিত্তেৰে আগ বাঢিছে। এনেস্থলত, উপস্থিত সমস্যাত মই গা-এৰি দি যদি পাণ্ডৱৰ ফলীয়া হওঁগে, তেন্তে লোকে মোক কি বুলিব!—মোক মহা কৃতঘ্ন বুলি নিন্দা নকৰিব নে? নাইবা, ধন-ৰাজ্যলোভী স্বাৰ্থপৰ বুলি মোক লোকে নাহাঁহিব নে? অথবা, ৰণত পৰিবলৈ বা বন্দী হবলৈ ভয় কৰি শেহান্তৰত শত্ৰুপক্ষৰ শৰণাগত হোৱা বুলি সদৌ পৃথিবীৰ নৰলোকে মোক গৰিহণা নিদিব নে?—আৰু সেইবাবে যাৱতচন্দ্ৰদিবাকৰ মোৰ নামত কলঙ্ক নৰব নে? মই দুৰ্য্যোধনৰ প্ৰতি এনেকুৱা আচৰণ আচৰি পাপ সঞ্চয় কৰিবলৈ মোৰ সত নাযায়। এতেকে, আপুনি মোক ক্ষমা কৰিব।"

কৰ্ণই আকৌ এই বুলি কৈ তেওঁৰ সমিধান সামৰি থলে,—"হে কৃষ্ণ! আপুনি যে মোৰ পৰম হিতৈষী তাত মোৰ ধনিষ্ঠামানো সন্দেহ নাই। আপুনি যে মোৰ ভালৰ নিমিত্তে হে এই প্ৰস্তাব আগ বঢাইছে তাতো মোৰ পূৰ্ণ-বিশ্বাস। আৰু, পাণ্ডৱবৰ্গেও যে মোৰ নেতৃত্ব মানি চলিবলৈ সাজু হব মই তাক পতিয়াইছোঁ। তথাপি, মই অনুৰোধ কৰোঁ, আপুনি আমাৰ ভিতৰত নিজানে হোৱা এই কথা-বাৰ্ত্তা আনে নজনাকৈয়ে ৰাখিব, ইয়াক যেন ৰাষ্ট্ৰ নকৰে। কিয়নো, মই কুন্তী মাতৃৰ প্ৰথম সন্তান বুলি জানিলে ধৰ্ম্মপ্ৰাণ মহাত্যাগী যুধিষ্ঠিৰে কেতিয়াও ৰাজ্যভাৰ গ্ৰহণ নকৰে, আনহাতে মোৰ লাভ হলেও সেই ৰাজ্য মই দুৰ্য্যোধনক দি মোৰ অঙ্গীকাৰ পালন কৰিব লাগিব। মই ন্যায়বন্ধন লঙ্ঘন কৰিবলৈ নিতান্ত অক্ষম। এতেকে, আপুনি মোক ক্ষমা কৰিব।"[২]

কৰ্ণই কৃষ্ণৰ আপাদমস্তক নিৰীক্ষণ কৰি ৰ-লাগি

(১) ন পৃথিব্যা সকলয়া ন সুবৰ্ণস্য ৰাশিভিঃ।
হৰ্ষাদ্ভয়াদ্বা গোবিন্দ মিথ্যাকৰ্ত্তুং তদুৎসহে॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১৪২ আধ্যা, ১২ শ্লোক।

(২) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১৪২ আধ্যা।

বৈছিল ; কিন্তু কৃষ্ণই কৰ্ণৰ অন্তৰৰ গভীৰ প্ৰদেশলৈ একাগ্ৰতীয়া দৃষ্টি ৰাখি বিভোল হৈ আছিল। পিছে, সমিধানৰ সামৰণত বাসুদেৱে এটি মিচিকিয়া হাঁহি মাৰি পুনৰপি এই বুলি নিজৰ প্ৰস্তাৱ সামৰিবলৈ মন্তব্য ব্যক্ত কৰিলে,—"হে কৰ্ণ! আপুনি তেন্তে ৰাজ্যলাভ নিতান্তপক্ষে নিবিচাৰে। তেন্তে, সেই ৰাজ্য যুধিষ্ঠিৰৰ হাতলৈ যোৱা-টোৱেই ঠাৱৰ। আৰু, তাৰেপৰা ইযাকো বুজিব যে, আগন্তুক মহাৰণত পাণ্ডৱৰ জয়লাভেই ধ্ৰুপ। তেনেহলে, আপুনি যাওক, কৌৰৱ সাজু হবলৈ নেতাসকলক কওকগৈ আৰু আপুনি নিজেও আগন্তুক মহাৰণলৈ সক্ষম হওকগৈ। পৃথিবীৰ অপৰিহাৰ্য্য কাৰ্য্য অৱশ্যে সাধিত হব। ইমানতে ভাৰতত আৰ্য্য জাতি ধ্বংস হবলগীয়া আছে যেতিয়া, হবই। মই যদ্যপি আপোনাৰ ন্যায়পৰায়ণতা আৰু কৰ্ত্তব্য পৰায়ণতা নশলাগি নোৱাৰোঁ, তথাপি আপোনাৰ প্ৰতি মোৰ এই প্ৰস্তাৱৰ উদ্দেশ্য বিবিধ হিতকৰ হলহেঁতেন বুলি মই দুনাই দঢ়াই কওঁ। প্ৰথমতে, ই আপোনালৈ হিতকৰ, কাৰণ আপুনি ৰাজ্যেশ্বৰ হলহেঁতেন আৰু নিজ ভ্ৰাতৃৰ লগত ৰণলিপ্ত নোহোৱাকৈ আপোনাৰ ধৰ্ম্মমত ৰক্ষা কৰিব পাৰিলেহেঁতেন, দ্বিতীয়তে, ই দুৰ্য্যোধন প্ৰমুখ্যে কৌৰৱ-কোৰৰ আৰু সদৌ কৌৰৱ পক্ষলৈকো হিতকৰ, কিযনো, ৰণ নালাগিলে সিবিলাক ৰাজ্য-ভ্ৰষ্টও হব নালাগিলহেঁতেন আৰু সবংশে নিধন নোহোৱাকৈ ৰব পাৰিলেহেঁতেন, তৃতীযতে, পাণ্ডৱলৈকো ই হিতকৰ, কিযনো সিবিলাকে বিনাযুদ্ধে পিতৃৰাজ্য ঘূৰাই পাই সৰ্ব্বাগ্ৰজ পাণ্ডৱ আপোনাৰ অধীনত মহাসুখে ৰাজ্যভোগ কৰিবলৈ পালেহেঁতেন, চতুৰ্থতে, ই সদৌ ভাৰতবাসীৰ, বিশেষকৈ আৰ্য্যাৱৰ্ত্তৰ অধিবাসী সকললৈ হিতকৰ, কিয়নো, আগন্তুক মহাৰণৰ অগ্নি জ্বলিবৰ আয়োজনতে নিৰ্ব্বাণ হোৱা হলে অসংখ্যাত নৰপ্ৰাণী বলি নিদিয়াকৈ ধৰ্ম্মৰাজ্য স্থাপন কৰিব পৰা গলহেঁতেন।"[১]

কৃষ্ণকথাত কৰ্ণপ্ৰাণ পমিবলৈ ধৰিলে, তেওঁ বিচলিত হৈ পৰিল। তেওঁ সকাতৰ ভক্তিসহকাৰে ভগৱান্ শ্ৰীকৃষ্ণক পুনৰপি এই বুলি নিবেদিলে,—"হে জ্ঞানাৱতাৰ সৰ্ব্বজ্ঞান! আপুনি সকলো জানি-বুজি মোক এইখন কি মায়াময় ছদ্ম দেখুৱাইছে! আপুনি জানেই যদি পৃথিবীৰ প্ৰলয়কাল চাপিছেহি, তেন্তে অধাৰ্ম্মিকৰ মাজত ৰাজ্যস্থাপন কৰিবলৈ কিয় প্ৰয়াস পাইছে?" শ্ৰীকৃষ্ণদেৱে ততালিকে এই বুলি মুখ পাতি ধৰিলে,—"মোৰ প্ৰস্তাৱ আপুনি গ্ৰহণ নকৰিলে যেতিযা, সঁচাকৈয়ে পৃথিবীত প্ৰলয়লৈ আৰু পলম নাই।" তদুত্তৰত কৰ্ণবীৰে অতি স্নেহভক্তিৰ সুৰেৰে এই বুলি কৃষ্ণ-কৰ্ণ-সংবাদৰ মোখনী মাৰিলে,--"হে কৃষ্ণ! জীয়াই থাকোঁ যদি, আগন্তুক মহাৰণৰ পাচত, ইয়াতে আপুনি আৰু মই পুনঃ দেখাদেখি হমইক, মৰোঁ যদি, স্বৰ্গত আমাৰ পুনৰ্ম্মিলন ঘটিব।"[২]

তাৰ পাচত, কৃষ্ণ কৰ্ণ দুয়ো গাঢ়তম আলিঙ্গনেৰে বিদায় লোৱালুই কৰি, দুয়ো দুফালে স্ব-স্ব গন্তব্য স্থানলৈ গতি কৰিলে।[৩]

সপ্তচত্বাৰিংশ আধ্যা

শ্ৰীকৃষ্ণ উলটি উপপ্লব্যত

কুৰুৰাজসভাত কটকীত্বত বিফল-মনোৰথ হৈ, ভীষণ ভবিষ্যত ভাবি ভাবি শ্ৰীকৃষ্ণ পাণ্ডৱ-শিবিৰ উপপ্লব্যলৈ উলটি আহিল।[৪] কিন্তু, তেওঁৰ অন্তৰত শান্তি-কল্পনা মাৰ যোৱা

(১) উপস্থিতবিনাশেয়ং নূনমদ্য বসুন্ধৰা।
যথা হি মে বচঃ কৰ্ণ নোপৈতি হৃদয়ং তব॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়,
১৪৩ আধ্যা, ৪৬ শ্লোক।

(২) মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়, ১৪৩ আধ্যা।

(৩) ইত্যুক্ত্বা মাধৱং কৰ্ণঃ পৰিষ্বজ্য চ পীড়িতম্।
বিসৰ্জ্জিতঃ কেশবেন ৰথোপস্থাদৱাতৰৎ॥
মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়,
১৪৩ আধ্যা, ৫০ শ্লোক।

(৪) আগম্য হস্তিনাপুৰাদুপপ্লব্যমৰিন্দমঃ।
পাণ্ডৱানাং যথাবৃত্তং কেশবঃ সৰ্ব্বমুক্তবান্॥
--মহাভাৰত, উদ্যোগপৰ্ব্ব, ভগবদ্‌যান পৰ্ব্বাধ্যায়,
১৪৬ আধ্যা, ১ম শ্লোক।

নাছিল ; বাটতে কৰ্ণক লগ পাই, তেওঁকো স্বকীয়াকৈ এঘেটা মাৰি চালে, কেনেবাকৈ টলাব পৰা যায় বুলি। কিয়নো, কৰ্ণ টলিলেই দুৰ্য্যোধনৰ যুদ্ধ-কল্পনা লগে লগে টলিব যে সেইটো কৃষ্ণ-বুদ্ধিয়ে সহজে ঢুকি পাইছিল। পিচে, সেই ঘেটাও বঁজা হল, সত্যনাৰায়ণ সদৃশ্ কৰ্ণবীৰ ভগৱান্ শ্ৰীকৃষ্ণৰ কথাত নটলিল, তেওঁ দুৰ্যোধনৰ ওচৰং যি বুলি প্ৰতিশ্ৰুত হৈছিল, তাৰপৰা চুলি-এডালমানো প্ৰাণ-থাকেমানে নিপিছলে বুলি বাসুদেৱক সভক্তি সমিধান দিলে। এই শেহ-চেষ্টাতো অকৃতকাৰ্য্য হৈ, কুৰুকুল ধ্বংস আৰু ভাৰতত আৰ্য্যবীৰ্য্য লোপ পোৱাৰ আগন্তুক হোৱা বিষয়ক ভাবনা ভাবি ভাবি বাসুদেৱ উলটি উপপ্লব্য পালেগৈ।

উপপ্লব্যত শ্ৰীকৃষ্ণৰ প্ৰত্যাগমনৰ বাৰ্ত্তা বাজ হোৱা মাত্ৰকে ধৰ্ম্মৰাজ যুধিষ্ঠিৰ প্ৰমুখ্যে পঞ্চ-পাণ্ডৱ আৰু পাণ্ডৱ শিবিৰত সমবেত পাণ্ডৱপক্ষীয় বীৰ সেনা আৰু সেনাপতি সকলে উদ্বিগ্নচিত্তেৰে পাণ্ডৱকটকী দ্বাৰকেশ্বৰক সমাদৰি আবৰি ধৰিলেহি। বাসুদেৱে পাৰ্য্যমানে চমুকৈ সিবিলাকৰ আগত তেওঁৰ কটকীত্বৰ বিষয়ে বৰ্ণনা কৰিলে। কৌৰৱ ৰাজসভাত কৃষ্ণ লাঞ্চনা আৰু দুৰ্ম্মতি দুযোধনৰ ষডযন্ত্ৰত কৃষ্ণ-বন্ধনৰ আয়োজন বিষয়ক বৰ্ণনা শুনি পাণ্ডৱ শিবিৰত সমবেত বীৰমণ্ডলী ভীমগৰ্জ্জনেৰে গৰ্জ্জি উঠিল, সকলোৱে উন্মত্তভাৱে যুদ্ধঘোষণা সোনকালে কৰিবলৈ বুলি যুদ্ধকৰ্ত্তা ধৰ্ম্মৰাজ যুধিষ্ঠিৰক অনুৰোধ কৰিলে। কৌৰৱ ৰাজসভাৰ দুৰ্ব্বলতা আৰু বাগ্মীপ্ৰবৰ শ্ৰীকৃষ্ণদেৱৰ সন্ধিপ্ৰস্তাব ব্যৰ্থ হোৱা বিষয়ক বৰ্ণনা শুনি কোমল অন্তৰৰ ধৰ্ম্ম-যুধিষ্ঠিৰৰ মনতো বিৰক্তিৰ ভাব উদয় হল, তেওঁ ভীমাৰ্জ্জুন প্ৰমুখ্যে সমবেত যুদ্ধাৰ্থী বীৰগণৰ প্ৰতি আগন্তুক ৰণলৈ অনতিপলমে সজ্জিত হোৱাৰ আদেশ প্ৰচাৰ কৰি, পাণ্ডৱ-বান্ধৱ যাদৱৰায় বাসুদেৱৰে সৈতে নীৰলে কুৰুক্ষেত্ৰ ৰণ-ৰচনা বিষয়ক আলোচনাত বহিল।

কৃষ্ণ-যুধিষ্ঠিৰৰ সেই ভিতৰ-বিশ্বাসৰ মন্ত্ৰণাৰ অন্তত, ধৰ্ম্মৰাজ যুধিষ্ঠিৰে শ্ৰীকৃষ্ণদেৱৰ সমক্ষতে চাৰিভায়েকক একেঠাই কৰি, এইঁ বুলি সৈন্যনিৰ্য্যাণ বিষয়ে সিবিলাকৰ প্ৰত্যেকৰ স্বকীয়া মতামত আহ্বান কৰিলে, "হে মোৰ প্ৰাণপ্ৰতিম ভ্ৰাতৃগণ! বাসুদেৱৰ সুসিদ্ধান্ত অনুযায়ী আমি অগত্যা ৰণ দিবই লগীয়া হল, এতেকে এতিয়া আমাৰ সংগৃহীত সাত-অক্ষৌহিণী সেনা বিভগ কৰি ভাগে ভাগে একোজন সুদক্ষ সেনাপতি পাতি লৈ, সদৌৰে উপৰি এজন ঘাই-সেনাপতি মনোনীত কৰিবৰ আচল ক্ষণ উপস্থিত ; গতিকে ঘাই সেনাপতি নিৰ্ব্বাচন সম্পৰ্কে তোমালোকৰ অভিমত ব্যক্ত কৰাহঁক।" অগ্ৰজৰ আদেশ শিৰত লৈ সিবিলাকে নিজ-নিজ অভিমত এই ভাৱে ব্যক্ত কৰিলে :— সহদেৱৰ মতে মহাবীৰ বিৰাট, নকুলৰ মতে দিব্যাস্ত্ৰবিৎ দ্ৰুপদৰাজ, অৰ্জ্জুনৰ মতে পাঞ্চালসিংহ ধৃষ্টদ্যুম্ন, আৰু ভীমসেনৰ মতে শিখণ্ডীক ঘাই-সেনাপতিৰ বাব দিব লাগে। পিচে, সিবিলাক চাৰিজনৰ মাজত দুজনো একমত নোহোৱাত, ধৰ্ম্ম যুধিষ্ঠিৰে সদৌশেহত বাসুদেৱৰ অভিমত আহ্বান কৰিলে। শ্ৰীকৃষ্ণদেৱে ততালিকে তেওঁৰ সিদ্ধান্ত মত অৰ্জ্জুনৰ লগত যোগ দিলে, আৰু সেই সিদ্ধান্তমতেই মহাবীৰ ধৃষ্টদ্যুম্নক পাণ্ডৱপক্ষৰ ঘাই-সেনাপতি বৰণ কৰা হল। তাৰ পাচত, কুৰুক্ষেত্ৰৰ যথাস্থানত পাণ্ডৱৰ ৰণ-শিবিৰ প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে ৰণ-যাত্ৰা আৰম্ভ হোৱাত, ঘাই-সেনাপতি মহাৰথ ধৃষ্টদ্যুম্নৰ ৰথৰ অনুবৰ্ত্তীকৈ অৰ্জ্জুনৰ সাৰথি স্বয়ং শ্ৰীকৃষ্ণদেৱে পৰম উলাহেৰে কুৰুক্ষেত্ৰ ৰণস্থল অভিমুখে ৰথ চলাবলৈ ধৰিলে।[১]

অষ্টচত্বাৰিংশ আধ্যা

উলুক দূতাগমন

ইতিছেগত, দুযোধনৰ দূত উলুক কটকী পাণ্ডৱ-শিবিৰত আহি উপস্থিত। সেই যাত্ৰাত উলুকৰ আগমনৰ উদ্দেশ্য আন একো নাছিল, মাথোন দুৰ্য্যোধনৰ হৈ পাণ্ডৱ আৰু পাঞ্চালৰ ৰজা, ৰাজকোঁৱৰ, সেনাপতি আৰু বীৰ

---

(১) পৰ্য্যক্ৰামৎ সমন্তাচ্চ পাৰ্থেন সহ কেশৱঃ।
শিবিৰং মাপয়ামাস ধৃষ্টদ্যুম্নশ্চ পাৰ্ষতঃ॥

—মহাভাৰত, উদ্যোগপৰ্ব্ব, সৈন্যনিৰ্য্যাণ পৰ্ব্বাধ্যায়, ১৫২ আধ্যা, ৫—৬ শ্লোক।

যোদ্ধাগণক গৰিহণা দি নীচমনৰ চিনাকি দিবলৈ গৈছিল। কৌৰৱ সভাত কৃষ্ণ-কটকীৰ আগত পাণ্ডৱ নিন্দালৈ যথেষ্ট সুযোগ নিমিলিল; গতিকে সেই হাবিয়াস পূৰাবৰ অভিপ্ৰায়ে শ্ৰীকৃষ্ণৰ পিচ ধৰি পাণ্ডৱ শিবিৰলৈ উলূকক পঠিওৱা হল। সেই সংসৰ্গত উলূকৰ বাগ্মিতাৰ বেগ বৰকৈ চৰিছিল;—দুৰ্য্যোধনে যিথিনি ককৰ্থনা শিকাই পঠিয়াইছিল, উলূকে তাতোকৈ একাঠী চৰাকৈ হে পাণ্ডৱ-পাঞ্চাল-নিন্দা বক্তৃতা কৰিলেহি। আন কি, ধীৰ-স্থিৰ-শান্ত নিৰ্ব্বূ ধৰ্ম্মাত্মা যুধিষ্ঠিৰো সেই নিন্দাত উত্তলি উঠিল।[১] ভীমৰ তৰ্জ্জন-গৰ্জ্জনত পাণ্ডৱ শিবিৰত তোলপাৰ লাগিল। অৰ্জ্জুনৰ গাণ্ডীৱৰ টঙ্কাৰত পাঞ্চাল পাণ্ডৱ শিবিৰ কঁপি উঠিল। নকুল-সহদেৱৰ আস্ফালনত ৰণ-ভূমি তলবলাবলৈ ধৰিলে। মহাবাহু ধৃষ্টদ্যুম্নৰ ৰণ-হুঙ্কাৰত শত্ৰুশিবিৰত আতঙ্ক উপস্থিত হল। বয়োবৃদ্ধ দ্ৰুপদৰাজৰ আশীৰ্ব্বাদসূচক উদগনি বাণীত পাণ্ডৱপক্ষ ৰণোন্মত্ত হৈ উঠিল। সেই ছেগতে ভীমসেনে দুৰ্য্যোধনৰ উৰুভঙ্গৰ প্ৰতিজ্ঞা পুনঃ পুনঃ ভীমগৰ্জ্জনেৰে ঘোষণা কৰে, আৰু অৰ্জ্জুনে কৰ্ণবধ সঙ্কল্প ব্যক্ত কৰি আত্ম-প্ৰতিজ্ঞা দৃঢ়তৰ কৰে। মুঠৰ ওপৰত, উলূকৰ মুখে দুৰ্য্যোধনৰ গৰিহণা শুনি পাণ্ডৱ-শিবিৰত কোনো প্ৰাণ স্থিৰেৰে ৰব পৰা নাছিল,—আছিল কেৱল এটি প্ৰাণ,—ধৈৰ্য্যতাৰ আধাৰ আদৰ্শ পুৰুষ শ্ৰীকৃষ্ণ। কৃষ্ণনিন্দা এই পালি কিন্তু আটাইতকৈ চৰা হে হৈছিল; কৌৰৱ ৰাজ-সভাত পিতৃৰাজ ধৃতৰাষ্ট্ৰ, পিতৃব্য বিদুৰ, আচাৰ্য্য দ্ৰোণ আৰু সবাৰোপৰি পিতামহ ভীষ্মদেৱৰ সহানুভূতি শ্ৰীকৃষ্ণৰ ফালে ঢাল খোৱাত দুৰ্য্যোধনে আক্ৰোহ পলুৱাই বাসুদেৱক নিন্দা কৰিবলৈ চল নাপালে। সেই কাৰণে, যি ত্ৰুটী বৈ গৈছিল, সেইথিনি পাণ্ডৱশিবিৰত উলূকৰ মুখে সুদে-মূলে শোধোৱা হল। ৰিজনি দি মুঠকৈ কবলৈ গলে, ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞত শিশুপালৰ কৃষ্ণ-নিন্দাতকৈও পাণ্ডৱ শিবিৰত উলূকৰ কৃষ্ণ-নিন্দা শতগুণে কটু হৈছিল। কিন্তু, সি সাগৰসদৃশ্ প্ৰশান্ত শ্ৰীকৃষ্ণমূৰ্ত্তিক অলপো টলাব নোৱাৰিলে; নন্দনন্দন পৰমানন্দ বাসুদেৱ মাধৱে তেওঁৰ চিৰলগৰীয়া মনোমোহা মিচিকিয়া হাঁহিৰে সৈতে সেই অকথ্য কটুৱা গঞ্জনা-গৰিহণা পানীকৃতকৈ উৰুৱাই দিলে। অকল সেয়ে নহয়, ক্ৰোধান্ধ হৈ কেনেবাকৈ পাণ্ডৱপক্ষৰ কোনোজনে উলূকক আক্ৰমণ কৰি ৰণ-নীতি ভঙ্গ কৰাৰ আশঙ্কাত, পাৰ্য্যমানে সোনকালকৈ তেওঁক বিদায় দিয়াৰ ব্যৱস্থাত হে ৰণ-পণ্ডিত শ্ৰীকৃষ্ণদেৱে মনোযোগ দিলে; কিয়নো, তেনেকুৱা অবৈধ্য আক্ৰমণ কৰোৱাৰ কৌশলেৰেই উলূকক দূতৰূপে পঠিওৱা হৈছিল। গতিকে, পাঞ্চালৰাজ দ্ৰুপদ আৰু পাণ্ডৱ-ৰাজ যুধিষ্ঠিৰ প্ৰমুখ্যে পাণ্ডৱ শিবিৰৰ বীৰগণক জ্ঞানগৰ্ভ বুজনিৰে সৈতে শান্ত কৰি, বিবাদভঞ্জক অপায়নাশক দৈৱকী-নন্দন যাদৱৰায় বাসুদেৱে গৰিহণাৰ সমিধান স্বৰূপ সাদৰ-সম্ভাষণৰে সৈতে বিদায় দি, দুৰ্য্যোধনৰ দূত উলূকক কৌৰৱ শিবিৰলৈ নিৰাপদে পাৰ কৰি পঠিয়ালে; মাথোন, বিদায় দিওঁতে উলূক দূতৰ জৰিয়তে দুৰ্ম্মতি দুৰ্য্যোধনলৈ বিশেষণেৰে সবিশেষ বুজাই সুদূৰদৰ্শী ৰাজপুৰুষ শ্ৰীকৃষ্ণদেৱে এই কেই-আষাৰ সমিধানসূচক বাণী কৈ পঠিয়ালে,—"মই অৰ্জ্জুনৰ সাৰথ্য স্বীকাৰ কৰা হেতুকে অস্ত্ৰ ধৰি ৰণ নকৰিম বুলি জানি, স্থূলদৃষ্টিৰ কৌৰৱপক্ষ নিৰ্ভয়ে যুদ্ধজয়ৰ আশাত উধত্ হৈ উঠিছে; কিন্তু, হুতাশনে যেনেকৈ নিজ দাহমান শক্তিৰে সংপ্ৰসাৰিত হৈ তৃণ-কুটা-ডাল পৰ্য্যন্ত দহি ভস্ম কৰে, তদ্ৰূপ নিৰস্ত্ৰ মোৰ ইচ্ছাত পাপীবৰ্গ ভস্মসাৎ হৈ অধৰ্ম্মৰ পৰাজয় ঘটিব। বাৰু, উলূক! তুমি এতিয়া যোৱাঁ; গৈ দুৰ্য্যোধনক কবাগৈ যে, তেওঁ কৈ পঠিওৱা কথা শুনি পাণ্ডৱে তাৰ যথাৰ্থ মৰ্ম্ম গ্ৰহণ কৰিছে। এতেকে, এতিয়া তুমি ভালে-ভালে যোৱাঁগৈ; গৈ কবাঁগৈ যে, অৱশ্যম্ভাৱী পৰিণাম অৱশ্যে কাৰ্য্যত ফলিয়াব।"[২]

(১) সেনানিৱেশং সম্প্ৰাপ্তঃ কৈতৱাঃ পাণ্ডৱস্য হ।
সমাগতঃ পাণ্ডৱেয়ৈৰ্যুধিষ্ঠিৰমভাষত॥
—মহাভাৰত উদ্যোগপৰ্ব্ব, উলূকদূতাগমন পৰ্ব্বাধ্যায়, ১৬১ আধ্যা, ১ম শ্লোক।

(২) মন্যসে যচ্চ মূঢ় ত্বং ন যোৎস্যতি জনাৰ্দ্দনঃ।
সাৰথ্যেন বৃতঃ পাৰ্থৈৰিতি ত্বং ন বিভেষি চ॥
জঘন্য কালমপ্যেতন্ন ভৱেৎ সৰ্ব্ব পাৰ্থিৱান্।
নিৰ্দ্দহেয়মহং ক্ৰোধাত্তৃণানীৱ হুতাশনঃ॥
—মহাভাৰত, উদ্যোগপৰ্ব্ব, উলূকদূতাগমন পৰ্ব্বাধ্যায়, ১৬২ আধ্যা, ৫৮—৫৯ শ্লোক।

উনপঞ্চাশৎ আধ্যা

শ্ৰীকৃষ্ণৰ অন্তৰ্দ্ধান*

উপপ্লব্যত পাণ্ডৱশিবিৰ প্ৰতিষ্ঠা হোৱাৰ পাচত, কৃষ্ণাৰ্জ্জুনে নীৰলে কুৰুক্ষেত্ৰৰণ-ৰচনা বিষয়ক গবেষণাত বহিলে। পোনতে পাণ্ডৱৰ আত্মবল বুজি, পঞ্চ-পাণ্ডৱৰ কোন্ জনক কি প্ৰকাৰৰ নেতৃত্ব-বাব দিয়া যাব তাৰ মীমাংসা কৰা হয়। দ্বিতীয়তে, পাণ্ডৱৰ হকে ৰণ দিবলৈ বুলি আহি সমবেত হোৱা বীৰ যোদ্ধাসকলৰ ভিতৰত ভাগে ভাগে নিজ নিজ পাৰদৰ্শিতা অনুক্ৰমে পাণ্ডৱ সৈন্য-বিভাগত সেনাপতি নিয়োগ কৰা হয়। আৰু তৃতীয়তে, ইতিপূৰ্ব্বতে চাৰি-পাণ্ডৱ আৰু শ্ৰীকৃষ্ণদেৱৰ মতামতৰ ওপৰত সিদ্ধান্ত-মত দি যুদ্ধকৰ্ত্তা ধৰ্ম্মৰাজ যুধিষ্ঠিৰে বৰণ কৰা বিধান অনুসৰি, দ্ৰুপদনন্দন মহাৰথ ধৃষ্টদ্যুম্নক সবাৰৰে ওপৰত যথাবিধি ঘাইসেনাপতিৰ বাব দিবলৈ স্থিৰ কৰা হয়। ইত্যাদি ৰণ-আৰম্ভণৰ মূল-মন্ত্ৰণা সমাপনৰ পাচত, কৃষ্ণাৰ্জ্জুনে ৰণ-ৰচনা বিভাগীয় আলোচনাত ধৰিলে। সেই সম্পৰ্কত ঘাই-সেনাপতি, পালি-সেনাপতি আৰু আগ-ৰণুৱা বীৰসকলৰো মতামত গ্ৰহণ কৰাৰ আৱশ্যকতা বুজি সিবিলাকৰে সৈতেও সমূহীয়াকৈ আলচ পতা হয়, আৰু সেই ছেগতে কৃষ্ণাৰ্জ্জুনে সিবিলাকক ভাগে-ভাগে নিজ-নিজ যোগ্যতা অনুসাৰে নেতৃত্বৰ বাব ভগাই দিয়ে।

সদৌশেহত, শ্ৰীকৃষ্ণদেৱে ৰণকৰ্ত্তা ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰে সৈতে ৰণনীতি আলোচনাত ধৰিলে। সেই নীতিৰ সৰ্ব্বাঙ্গীন বিশদ ব্যাখ্যা দিয়াৰ পাচত, সৰ্ব্বশাস্ত্ৰবিশাৰদ ৰণপণ্ডিত বাসুদেৱে আগন্তুক মহাৰণৰ আজ্ঞাকাৰী অধ্যক্ষ ধৰ্ম্ম-যুধিষ্ঠিৰক এই কেই-আষাৰ আগলিবাণী জ্ঞাপন কৰিলে, "হে অগ্ৰজপ্ৰতিম ধৰ্ম্মৰাজ! আগন্তুক সম্মুখ-সংগ্ৰামৰ আৰম্ভণৰ আগতে গোটাদিয়েক আগতীয়া পৰামৰ্শ দি থওঁ, স্মৰণ ৰাখিব যেন। প্ৰথমতে, পাণ্ডৱ পক্ষীয় ৰণবাহিনী ৰণ-ক্ষেত্ৰত আগধৰি উপস্থিত কৰাই লৈ,আপুনি ৰণ-আহ্বান কৰিবৰগৈ, আহ্বান গ্ৰহণ কৰিবলৈ বাট নাচাব; কিয়নো, আহ্বান কৰোঁতাই; ৰণনীতি অনুসৰি, ৰণক্ষণ ঘোষণা কৰাৰ বাব পায়, সেই বাব আগধৰি লাভ কৰিব পাৰিলে, আপোনাৰ পক্ষৰ সুচল চাই আপুনি ৰণাৰম্ভণৰ দিনধাৰ্য্যৰো অধিকাৰ পাব। দ্বিতীয়তে, ক্ষত্ৰিয়ৰ ৰণনীতি আচৰণৰপৰা আপোনাৰ পক্ষীয় ৰণুৱাক কাচিতো পাৰ-পিছলাবলৈ নিদিব, কাৰণ, "য'তে ধৰ্ম্ম ত'তে জয়" ইয়াৰ কদাপি অন্যথা নহয়। তৃতীয়তে, বিপক্ষীয় সম্মুখীন যোদ্ধাত আপোন-পৰ বিচাৰ নাৰাখিব, আত্মীয় পতনত কাতৰ নহব, যিহেতু, সম্মুখীন যোদ্ধা সততে পৰস্পৰ শত্ৰু।[১] আগন্তুক ৰণত মই নিজে নিৰস্ত্ৰ, কিন্তু মোৰ অষ্ট-অস্ত্ৰৰ[২] গুণ কাৰ্য্যত ফলিয়াব।"

ইতিক্ষণত, অগ্ৰজ বলৰামৰ অনুজ্ঞা অনুসৰি, ৰুক্মিণীৰথ[৩] আচম্বিতে আহি এই বুলি উপস্থিত হলহি যে, কুমাৰ অনিৰুদ্ধ অকস্মাৎ নিৰুদ্দেশ হোৱাত দ্বাৰাৱতীত হুলস্থুল লাগি উঠিছে,[১] আৰু সমগ্ৰ দ্বাৰকাৰাজ্য বিষাদে ছাটি

---

* আচম্বিতে বা অকস্মাতে অদৃশ্য হোৱা, কিম্বা অভাবনীয়ভাৱে চাঁত্‌কৰে আঁতৰ হোৱাকে অন্তৰ্দ্ধান্ বোলা যায়।

(১) মহাভাৰত, ভগবদগীতা পৰ্ব্বাধ্যায়।

(২) শ্ৰীকৃষ্ণৰ ৰণ-অস্ত্ৰ:—অসি, চক্ৰ, গদা, আৰু বাণ —এই চাৰিবিধি সোঁহতীয়া অস্ত্ৰ; চৰ্ম্ম, শাৰ্ঙ্গ, বজ্ৰ আৰু শঙ্খ —এই চাৰিবিধ বাওঁহতীয়া অস্ত্ৰ। সেই আপাহতে শ্ৰীকৃষ্ণক 'অষ্টবাহু সমন্বিত' বোলা যায়।—হৰিবংশ, ১৭৮ আধ্যা।

(৩) ৰুক্মিণীদেৱী এগৰাকী বিচক্ষণীয়া বীৰাঙ্গনা। তেওঁ সততে নিজে সাৰথি হৈ ৰথত চৰি ৰাজ্য পৰিদৰ্শন কৰি ৰাজকাৰ্য্য চস্তানলত সহায় কৰিছিল। সেই কাৰণে, তেওঁৰ প্ৰতি ৰাম-কৃষ্ণৰ বিশেষ আস্থা আছিল, আৰু তেওঁৰ পৰামৰ্শ সিবিলাকে কদাপি অমান্য নকৰিছিল। গতিকে, উপস্থিত আসন্ন সমস্যাত, কুৰুক্ষেত্ৰ-ৰণ লাগোঁ-লাগোঁ অৱস্থাত, পাণ্ডৱ-সাৰথি শ্ৰীকৃষ্ণক আঁতৰাই অনাটো অসম্ভৱ যেন দেখি, কৃষ্ণাগ্ৰজ বলৰামৰ অনুজ্ঞাবাহিকা হৈ, ৰুক্মিণী-দেৱীয়ে গৰুড়-ৰথত চৰি উৰাৰত হৈ গৈ স্বয়ং পাণ্ডৱ-শিবিৰত আচম্বিতে উপনীত হৈ স্বামী-কৃষ্ণক অনতিপলমে দ্বাৰকালৈ লৈ আহিলেগৈ।—হৰিবংশ, ৮১০ আধ্যা।

পেলাইছে ; এতেকে সেই আপদৰ সময়ত স্বৰাজ্যত অপায়হাৰী বাসুদেৱৰ উপস্থিতি অপৰিহাৰ্য্য হৈছে। প্ৰিয়তমা ভাৰ্য্যাৰ মুখে সেই সংবাদ পাই, লৰালৰিকৈ ধৰ্ম্ম-যুধিষ্ঠিৰ প্ৰমুখ্যে পাণ্ডৱ শিবিৰৰ ঘাই আৰু পালি সেনাপতি-সকলৰ ওচৰত অগত্যা সাম্প্ৰতিকভাৱে বিদায় গ্ৰহণ কৰি, ৰামানুজ দ্বাৰকেশ্বৰে বেগাবেগিকৈ দ্বাৰকালৈ প্ৰত্যাগমন কৰিলে। ওলটা-যাত্ৰাৰ আগ-মুহূৰ্ত্তত শ্ৰীকৃষ্ণদেৱে ছেগ ধৰি যুদ্ধকৰ্ত্তা ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ প্ৰতি সভক্তিৰে এইবুলি এষাৰ মাথোন অনুৰোধ-বাণী এৰি গল,—"মই আহোঁ হে এতিয়া ; নাহোঁমানে যুদ্ধ আৰম্ভ কৰা নহয় যেন।"

মধ্যলীলাখণ্ড সমাপ্ত

(১) এয়ে পুৰণি অসমৰ 'কুমাৰ-হৰণ' নাটৰ আঁতি-গুৰি। কামৰূপৰ শোণিত-পুৰত 'ঊষা-হৰণ' হোৱাৰ পূৰ্ব্বক্ষণত, দ্বাৰকাত কামৰূপিনী বিচিত্ৰা চিত্ৰলেখাৰ অদ্ভুত কৌশলৰ ফলত কৃষ্ণ-নাতি কুমাৰ অনিৰুদ্ধ-হৰণ সংঘটিত হয়।

উছৰ্গা

যাৰ শিৰত

ভগৱন্ত শ্ৰীকৃষ্ণৰ

আদ্যলীলা আৰু মধ্যলীলা

আশীষ্ নিৰ্ম্মালি অৰ্পিত হৈছে,

সেই

মোৰ অষ্টম সন্তান, —একেটি পুত্ৰ—

শ্ৰীমান্ হৰকৃষ্ণনাথ গোহাঞিবৰুৱা

'দেউতাকণ'ৰ

শিৰত

ভগৱন্তৰ অন্ত্যলীলা আখ্যান

পিতৃৰ আশীষ্ নিৰ্ম্মালিস্বৰূপে

অৰ্পিত হল

গ্ৰন্থকাৰ

অন্ত্যলীলা খণ্ডৰ পাতনি

'শ্ৰীকৃষ্ণ' পুথিৰ আদ্যলীলা আৰু মধ্যলীলা এই দুই খণ্ড প্ৰচাৰিত হৈ গৈছে; এতিয়া অন্ত্যলীলা খণ্ড প্ৰচাৰ কৰিবলৈ হাতত লোৱা হৈছে। অন্ত্যলীলাৰ লগতে ভগৱন্ত শ্ৰীকৃষ্ণৰ মানৱ চৰিত্ৰ সম্বন্ধে আমাৰ বক্তব্য আৰু মন্তব্যবো অন্ত পৰিব। গতিকে, এই ছেগতে, 'শ্ৰীকৃষ্ণ' গ্ৰন্থৰ নতুনত্ব আৰু বিশেষত্বৰ বিষয়ে দু-আষাৰ কোৱা যায়।

'শ্ৰীকৃষ্ণ' গ্ৰন্থৰ নতুনত্ব এই যে, ভগৱন্ত শ্ৰীকৃষ্ণৰ লীলা বা অৱতাৰী আখ্যান একেকঠিকৈ একেখন গ্ৰন্থতে সন্নিবিষ্ট কৰা এয়ে প্ৰথম;—এতেকে, এয়ে এই পুথিৰ নতুনত্ব। আধুনিক ভাৰতীয় আন কোনো ভাষাতে এই দৰে ধাৰাবাহিককৈ একেখন গ্ৰন্থতে শ্ৰীকৃষ্ণচৰিত অদ্যাপি প্ৰচাৰিত হোৱা নাই,—অ'ত-ত'ত সিঁচৰতিকৈ খণ্ডাছিগা হৈ হৈ আছে, সিও শৃঙ্খলাৱদ্ধকৈ নহয়; যেনে,—শ্ৰীকৃষ্ণাৱতাৰৰ আদ্য বা বাল্যলীলাৰ বিবৃতি ভাগৱত-পুৰাণৰ দশম স্কন্ধত হে বিস্তাৰিতকৈ বিবৃত হৈছে, অথচ অন্ত্যলীলাৰ অন্তৰ্গত স্বৰ্গাৰোহন পৰ্ব্ব বা কৃষ্ণলীলাৰ সামৰণ ভাগ সেই মহাপুৰাণৰ তৃতীয় স্কন্ধতে বৰ্ণিত হৈ গৈছে। ইত্যাদি অগা-পিচা, ওলট-পালট আৰু খণ্ডাছিগা ভগৱন্ত-কীৰ্ত্তনৰ খেলিমেলি বেমেজালি গুচোৱা বিষয়তো 'শ্ৰীকৃষ্ণ' পুথিৰ বিশেষ নতুনত্ব ৰৈছে।

'শ্ৰীকৃষ্ণ' আখ্যানৰ বিশেষত্বলৈ আঙুলিয়াবলৈ ভয় হে লাগে। কল্পনাৰ ডাঁৱেৰে নিলগৰপৰা দেখুৱাবলগীয়া চৰিত্ৰসমল ইয়াত হাতেৰে চুই চালি-জাৰি দেখুৱা গৈছে। অৰ্থাৎ, ভগৱন্ত শ্ৰীকৃষ্ণৰ লীলা-কাহিনীত বিৰিঙি ওলোৱা কোনো কোনো অলৌকিক ঘটনাৰ উৰণীয়া পাখি কাঢ়ি, 'শ্ৰীকৃষ্ণ' আখ্যানৰ ঠায়ে ঠায়ে সেই ঘটনাবোৰত লৌকিক সাজ-পাৰ পিন্ধাবলৈ মৰসাহ দি প্ৰয়াস পোৱা গৈছে। 'শ্ৰীকৃষ্ণ' আদ্যলীলা খণ্ডত সেই অলৌকিকতাৰ পৰিমাণ অত্যধিক; গতিকে তাত লৌকিকতাৰ ভাঙনিও প্ৰচুৰ। সেইবাবে, গ্ৰন্থকাৰ হিচাপে, আমি হে দোষাদোষৰ সৰ্ব্বতোভাৱে ভাগী; গ্ৰন্থৰ প্ৰকাশক বা শ্ৰীকৃষ্ণাখ্যানৰ আঁতিগুৰি পুৰাণ, হৰিবংশ মহাভাৰত প্ৰভৃতি মূলগ্ৰন্থাদিত তাৰ অকণো চেকা নাই। বিশেষতঃ, যথা-যথাঠাইত লাগতিয়াল টীকা-ব্যাখ্যা দি, সেই দোষ-গুণৰ ভাগ আমি প্ৰকাশ্যে গা-পাতি লৈছোঁ, যাতে প্ৰকাশক বা মূলগ্ৰন্থাদিৰ গালৈ বাগৰি নাযায়। সেই দহমোনীয়া অলৌকিকতাৰ শিলবোৰ আমাৰ বুঢ়ী কাপেৰে ঘঁহি-পিহি নিজমকৈ লৌকিকতালৈ অনাৰ প্ৰয়াস পোৱাৰো ঘাই কাৰণ হৈছে এই যে, পানীয়ে যিৰূপে যি পাত্ৰতে স্থিতি কৰে সেই পাত্ৰৰে গঢ় লয়, সেইৰূপেই ভগৱন্তয়ো যেতিয়া য'তে থিত লয়, তেতিয়া ত'ৰে আকৃতি-চিত্ৰ ধাৰণ কৰে,—মানৱ অৱতাৰত মানৱী চৰিত্ৰত বিকশিত হয়; তাৰ অন্যথা ঘটিলে অস্বাভাৱিকতাৰ অৱতাৰণা হয়। অস্বাভাৱিক কল্পনাৰ পাখি পিন্ধাই স্বাভাৱিক বা প্ৰকৃতক অপ্ৰকৃত কৰিলে সৃষ্টি-ৰীতিৰ বিপৰ্য্যয় ঘটে,—সি মানৱ ধাৰণাৰ অতীত হৈ পৰে, তাত মানৱ আস্থা নোহোৱা হয়। ভগৱন্ত শ্ৰীকৃষ্ণ সেইৰূপ অস্বাভাৱিকতাৰ ঘোৰ বিৰোধী আছিল। সেই হেতুকে, বাসুদেৱে স্বয়ং একাধিক প্ৰসঙ্গত দঢ়াই কোৱা আছে, তেওঁত যেন ভুলতো কেৱে প্ৰত্যক্ষ ঈশ্বৰত্ব আৰোপ নকৰে; তাকে কৰাৰ বাবে হে বিবিধ প্ৰসঙ্গত নন্দনন্দন যশোদাতনয় দৈৱকীসুত বাসুদেৱে আক্ষেপ প্ৰকাশ কৰিছিল।

'শ্ৰীকৃষ্ণ' চৰিত্ৰৰ অন্ত্যলীলা খণ্ডত কিন্তু ভগৱন্তৰ অলৌকিকতা ঢাকিবলৈ আমাৰ লৌকিকতাৰ আৱ-

কাপোৰৰ নাটনি পৰিছে। কিয়নো, কোনো-কোনো প্রসঙ্গত মানৱী সমস্যা সাঁতুৰি পাৰ হব নোৱাৰি, শ্রীকৃষ্ণদেৱ স্বয়ং ধৰা পৰিছে। কুৰুক্ষেত্র-মহাৰণৰ আৰম্ভণত মহাৰথ অৰ্জ্জুনৰ বৈৰাগ্যতাই সাৰথি-কৃষ্ণক বিষম সমস্যাত পেলাই-ছিল। বাসুদেৱে সেই সমস্যা সাঁতুৰি পাৰ হব নোৱাৰি, কৃষ্ণপৰায়ণ সৰ্ব্বশ্রেষ্ঠ ভক্ত সখি-শিষ্য অৰ্জ্জুনৰ আগত তেওঁৰ ঈশ্বৰত্ব স্বীকাৰ কৰি, স্বীয় বিৰাট মূৰ্ত্তি ধাৰণ কৰিবলৈ বাধ্য হৈছিল। —তাৰে ফল হৈছে জগতত সৰ্ব্বশ্রেষ্ঠ ধৰ্ম্মশাস্ত্র শ্রীমদ্ভগৱদগীতা। এইখিনিতে আমিও উপায়ান্তৰ হৈ, অপৰিহাৰ্য্য অলৌকিকতাত অবাৰিত পোহৰ পৰাকৈ আৰকাপোৰ সম্পূৰ্ণে উদিয়াই দিছোঁ, যিহেতু তাৰ প্ৰতি-বিধানৰ অৰ্থে আমাৰ হাতৰ বিপদতাৰণ অস্ত্ৰৰূপে ভগৱন্তৰ মুখ-নিজৰানিস্থত শ্রীমদ্ভগৱদগীতা বিদ্যমান। ভগৱন্ত শ্রীকৃষ্ণৰ বিৰাটমূৰ্ত্তি, বাসুদেৱ ৰাম-কৃষ্ণৰ সোঁ-শৰীৰে স্বৰ্গযাত্রা বা মহাপ্ৰয়াণ আদি সেই অলৌকিকতাৰ অকাট্য প্ৰমাণ। আমাৰ বিশ্বাস, আন্ত আৰু মধ্যলীলাত কল্পনাৰ পাখি-কাটি অলৌকিকতাৰ ঠাইত পাৰ্য্যমানে লৌকিকতাৰ আৱেশ অৱতাৰণা কৰাৰ বাবে যিসকল ভক্তপ্ৰাণ অলপ ব্যথিত হৈছিল, অন্ত্যলীলাৰ অলৌকিকতাৰ অৱতাৰণাই সিসকলৰ সেই ব্যথা নিশ্চয় পাতল কৰিব।

'শ্রীকৃষ্ণ' অন্ত্যলীলাৰ গৰ্ভত, ইতিপূৰ্ব্বতে স্বকীয়াকৈ প্রচাৰিত হোৱা যি 'গীতাসাৰ' সন্নিবিষ্ট হৈছে, তাক মূলৰ-পৰা ভাঙোতে আমি ৺কৃষ্ণানন্দ স্বামীৰ শ্রীমদ্ভগৱদগীতা আৰু ৺শ্রীধৰ কন্দলিৰ গভীৰ গৱেষণাপূৰ্ণ টীকাব্যাখ্যাৰপৰা বিস্তৰ সাহায্য গ্ৰহণ কৰিছোঁ; সেই বাবে সেই স্বৰ্গীয় পৱিত্ৰাত্মাদ্বয়ৰ ওচৰত আমি সভক্তি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইতি

'পদ্মকুটীৰ', তেজপুৰ, অসম
৺শ্রীপঞ্চমীতিথি, ১৮৬১ শক

শ্রীকৃষ্ণপাদ
শ্রীপদ্মনাথ গোহাঞিবৰুৱা

অন্ত্যলীলা খণ্ড

(৯১ বছৰীয়াৰপৰা ১২৬ বছৰীয়ালৈকে)

প্ৰথম আধ্যা

কুমাৰ-হৰণ[১]

ভাৰতবৰ্ষৰ অতিপূব প্ৰান্তত শোণিতপুৰ[২] আৰু অতি-পছিম প্ৰান্তত দ্বাৰকা[৩] অৱস্থিত। সুপ্ৰখ্যাত বলি নামে দানৱৰাজৰ পুত্ৰ বাণ-ৰজা শোণিতপুৰৰ অধিপতি; নৰশ্ৰেষ্ঠ আদৰ্শ পুৰুষ শ্ৰীকৃষ্ণ স্বয়ং দ্বাৰকেশ্বৰ। বাণ ৰজাৰ বহুপুত্ৰ; কন্যা মাথোন একেটি। কন্যাটিৰ নাম উষা। উষাদেৱীক শোণিতপুৰৰ দক্ষিণ-পূব প্ৰান্তত, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত, অগ্নিগড়েৰে সুৰক্ষিত কন্যাপুৰ বা উষা-নগৰীত[৪] যথাযোগ্য ৰাজকীয় মৰ্য্যাদাৰে সৈতে বাস কৰোৱা হৈছিল। উষা-নগৰী বাণ-নগৰৰপৰা[৫] কুৰি ক্ৰোশৰ অন্তৰত অৱস্থিত। অগ্নিগড়ৰ[৬] জ্বলন্ত চিন্ অদ্যাপি বিদ্যমান।

যাদৱকেশৰী দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণ আৰু তেওঁৰ প্ৰথমা ভাৰ্য্যা ৰুক্মিণী দেৱীৰ বৰপুত্ৰ মহাৰথ প্ৰদ্যুম্ন কোৱঁৰৰ পুত্ৰ অনিৰুদ্ধ কুমাৰ। ৰূপত শ্ৰীকৃষ্ণই কন্দৰ্পক জিনে, পুত্ৰ প্ৰদ্যুম্নই তেনে হেন পিতৃ কৃষ্ণক জিনে, কৃষ্ণ-নাতি অনিৰুদ্ধই পিতৃ প্ৰদ্যুম্নক জিনে! এনেহেন জগন্মোহন ৰূপ অনিৰুদ্ধ কুমাৰৰ! কুমাৰৰ ৰূপ-লাৱণ্যৰ জেউতিয়ে দ্বাৰাৱতী নগৰ ভকভকীয়াকৈ জিলিকাই থৈছিল। বাস্তৱতে, দ্বাৰকাৰ আবাল-বৃদ্ধ-বনিতা কুমাৰৰ অনুপম ৰূপ-গুণত বিমোহিত; দ্বাৰকাৰ নৰ-নাৰীৰ মানত কুমাৰ অনিৰুদ্ধ আলাসৰ-লাৰু।

অতীজত যি মহাথানত মহাসেন অগ্নিজাত ৰুধিৰত উত্থিত হৈছিল, সেই পুৰোত্তম পৱিত্ৰ থানেই শোণিতপুৰ।[৭] শোণিতপুৰত দেৱদেৱ মহাদেৱ হৰ-মহেশ্বৰ বৃষধ্বজ ৰুদ্ৰ-শঙ্কৰ মহাভৈৰৱৰ পূজা-অৰ্চনাৰ অৰ্থে মহাবীৰ্য্যৱন্ত মহাসুৰ বলিনন্দন শৈৱচূড়ামণি[৮] বাণ নৰপতিৰ দ্বাৰাই প্ৰতিষ্ঠিত মহাভৈৰৱ মন্দিৰ[৯] অদ্যাপি দণ্ডায়মান। সেই মন্দিৰত সভাৰ্য্যা দৈত্যকুল-গুৰুৱে চিৰস্থায়ীকৈ ভৈৰৱ-ভৈৰৱীৰূপে অৱস্থান কৰে। মন্দিৰৰ সুপ্ৰশস্ত টোলৰ ভিতৰত ভালেমান ভকত-ভকতনীয়ে ভৈৰৱ-ভৈৰৱী ভাৱত বিভোল হৈ কিন্নৰ-কিন্নৰী ৰূপে সততে নৃত্য-কেলি কৰে। কোনো কোনো বিশেষ শিৱপূজা উপলক্ষে সেই হৰ-গৌৰী স্বৰূপ ভৈৰৱ-ভৈৰৱীৰ ক্ৰীড়া-কেলি বিশেষ আড়ম্বৰেৰে হৈ থাকে।

---

(১) অসমৰ লোকৰঞ্জক 'কুমাৰহৰণ' নাটৰ এয়ে আঁতি-গুৰি।

(২) দ্বাপৰ যুগৰ দানৱ ৰাজবংশৰ বলিনন্দন বাণ-ৰজাৰ কন্যাপুৰৰ নাম শোণিতপুৰ।

(৩) শ্ৰীকৃষ্ণ-প্ৰতিষ্ঠিত পছিম সাগৰকূলস্থিত যাদৱ ৰাজ্যৰ নাম দ্বাৰকা।

(৪) বৰ্ত্তমান তেজপুৰ কাছাৰিঘৰৰ ভেঁটিয়েই উষা-অন্তঃপুৰৰ ভেঁটি।

(৫) তেজপুৰৰপৰা ২০ ক্ৰোশৰ উত্তৰে ভালুকপুং নামে ঠাইত বাণ-নগৰৰ ভগা চিন্ অদ্যাপি বিদ্যমান।

(৬) ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে তেজপুৰৰ 'ধেনুখনা' টিলাৰপৰা 'ভোমোৰাগুৰি'লৈকে এই পৰ্ব্বতীয়া টিলালানীয়েই আগৰ দিনৰ 'অগ্নিগড়'। উষা-নগৰীৰ উত্তৰ-পছিম প্ৰান্তত তেজযেন ৰঙা পানীৰে চপ্‌চপীয়া 'তেজপুৰ বিল' নামে সৰু বিল এখন এতিয়া পিতনিত পৰিণত হৈ আছে। আৰু, নগৰৰ আশে-পাশে উষাদেৱীৰ তাঁতশালৰ টোলোঠা-দোৰ্পতিৰ ভগাচিন্ শিলা হৈ পৰি ৰৈছে।

(৭) হৰিবংশ, ১৭৩ আধ্যা।

(৮) মহাসুৰ বাণ নৰপতিৰ শিৱভক্তি এনে প্ৰগাঢ় আছিল যে, সেই ভক্তিত তন্ময় হৈ তেওঁ নিজক এজন শিৱসন্তান বুলি জ্ঞান কৰিছিল। তেওঁ নিজক কুমাৰ কাৰ্ত্তিকেয়ৰ কনিষ্ঠ যেন জ্ঞান কৰিছিল।

(৯) বাণ নৰপতিৰ দ্বাৰাই প্ৰতিষ্ঠিত সেই মহাভৈৰৱ দেৱালয় অদ্যাপি তেজপুৰ চহৰত দণ্ডায়মান। এই মন্দিৰৰপৰা এক ক্ৰোশৰ অন্তৰত মহাপীঠ আন ভৈৰৱী দেৱালয়ো আজিকোপতি পূৰ্ব্ব গৌৰৱেৰে জিলিকি আছে।

পৰম ৰমণীয় পৰম লাৱণ্য ৰতিকান্তি-বিশিষ্ট পূৰ্ণযুৱতী নিৰুপমা বাণ-নন্দিনী উষাদেৱীয়ে অপ্সৰী সদৃশ্ সখীসৱ সমন্বিতে সততে সেই ঐশ্বৰিক ক্ৰীড়া-কেলি সভক্তিৰে দৰ্শন কৰি পৰম তৃপ্তি লাভ কৰে। উষাদেৱীয়ে এদিন তেনেকুৱা এটা বিশিষ্ট উপলক্ষত সমস্ত দিনব্যাপী ভৈৰৱ-ভৈৰৱী ক্ৰীড়া-কেলি সন্দৰ্শনসুখ উপভোগ কৰি আহি, ৰাতি আপোনাৰ অন্তঃপুৰৰ শয়ন-মন্দিৰত সখীসকলেৰে পৰিবৃতা আৰু সুৰক্ষিতা হৈ সোণোৱালী পালেঙ্গত টোপনিত লালকাল দি পৰি আছে, এনেতে সপোনত তেওঁ কন্দৰ্পতনু এজন মদনমোহন পুৰুষৰত্নক স্বামী-উপভোগ কৰে। সপোনৰ আবেগত সেই ৰতিচোৰে কুমাৰীৰ কঠোৰ ব্ৰহ্মচৰ্য্য ব্ৰত চূৰ্ণ কৰি তেওঁৰ জীৱনসৰ্ব্বস্ব সতীত্বধন অপহৰণ[1] কৰে। সেই স্বপ্ন-সম্ভোগত উত্তেজিতা হৈ উষাদেৱী আচম্বিতে চাতকৰে সাৰ পাই উঠিল। উঠি, সেই সপোন সুমৰি তেওঁ ৰোমাঞ্চিত হৈ কঁপিবলৈ ধৰিলে। কঁপি কঁপি তেওঁ আতুৰ-কণ্ঠে চিঞঁৰি উঠিল। সেই আৰ্ত্তৰাৱে সখীসকলকো টোপনিৰপৰা বিচূৰ্ত্তি খুৱাই তুলিলে। সিবিলাক সকলোটি কাষ চাপি কুমাৰীৰ আকস্মিক মানসিক বিকাৰ আৰু অশান্তিৰ তত্ত্ব অনুসন্ধানত তৎপৰ হল।

উষা-সখীসৱৰ[2] মাজত চিত্ৰলেখা আৰু কুম্ভাণ্ড-জীয়াৰী[3] এই দুগৰাকী ঘাই সখী। উষাদেৱীক অত্যন্ত উতলা আৰু শোকাকুলা দেখি প্ৰথমা সখী চিত্ৰলেখাই বিবিধ বিধানেৰে প্ৰবোধ দি তেওঁৰপৰা ঘটনাৰ তত্ত্ব উলিয়াবলৈ যত্ন কৰিলে। বিস্তৰ বুজনিৰ পাচত, চিত্ৰলেখাৰ আশ্বাসত বিশ্বাস মানি কন্দনামুখী কুমাৰীয়ে উচুপি উচুপি সখীসকলৰ আগত সপোনৰ কথা বিবৰি কৈ উঠি হতাশৰ খুন্দাত এই বুলি আকৌ কৰ্ফাল খাই পৰিল, "হাঁয়, মই কুলক্ষিণী, কুল-কলঙ্কিনী! মোৰ কঠোৰ ব্ৰহ্মচৰ্য্য ব্ৰত অথলে গল! নাৰীৰ প্ৰধান ৰক্ষক-কবচ কান্দোন আৰু কাকুতি। কিন্তু, এই অভাগিনীয়ে বিস্তৰ কান্দিলোঁ, নথৈ কাকুতি কৰিলোঁ, তথাপি সেই ৰতিচোৰৰ সুদৃঢ় আলিঙ্গনৰপৰা মই এৰাব নোৱাৰিলোঁ, অবলাৰ ব্ৰহ্মচৰ্য্য ধৰ্ম্ম ৰক্ষা নপৰিল! মই এতিয়া কোন্ সতে জন-সমাজত মুখ দেখুৱাম! মোৰ অৰিন্দম পিতৃক কিমতে মোৰ এই দুৰ্দ্দশা জ্ঞাপন কৰিম! তাৰ আগেয়েই মই মৰি যোৱাই ভাল।"[4] সখীসৱে বহু প্ৰবন্ধেৰে বিস্তৰ শুশ্ৰূষাৰে অলপ সুস্থ কৰি, আতুৰা উষাক দাঙ্গি ধৰাত, এইবাৰ মন্ত্ৰী কন্যা কুম্ভাণ্ডদুহিতা প্ৰজ্ঞাই সখীয়েক উষাদেৱীক এই ভাৱে বুজনি দিবলৈ ধৰিলে,—"হে সখি! তুমি আজন্ম সতী। তোমাৰ সতীত্ব হৰণ কৰোঁতা ত্ৰিভুৱনত আছে কোন্? অসৎ অভিপ্ৰায়ে যদি কিবা অপকৰ্ম্ম কৰা হয়, তেন্তে তাৰ দ্বাৰাই মন কলুষিত হব পাৰে; কিন্তু যদি স্বপ্নযোগত সংযোগৰ বলাৎ-কাৰত ভুক্তা হোৱা যায়, তেন্তে তাত ব্ৰত লোপ নহয়। বিশেষ, মৰ্ত্ত্যলোকত স্বপ্নকৃত দোষ নাই; গতিকে এই

(১) সেই উৎসৱ উপলক্ষ্যত নানাৰূপী মহাতেজস্বী ভৱপাৰিষদবৰ্গে ভৈৰৱ-ভৈৰৱী ৰূপে নানাতৰহৰ ক্ৰীড়াত প্ৰবৃত্ত হয়। সেই ৰহস্যবিৎ পাৰিষদবৰ্গে মহাদেৱৰ চিহ্নাঙ্কিত ৰূপ ধাৰণ কৰি ক্ৰীড়াত নিৰত হোৱা দেখি, ভৱানীপাৰিষদ অপ্সৰাসম তাপসীবৰ্গেও ভৈৰৱীৰূপ ধাৰণ কৰি স্ব স্ব-স্বামীসকলৰে সৈতে বিবিধ ক্ৰীড়া আৰম্ভ কৰে। এদিন বাণ-ৰাজকন্যা উষা দেৱী আহি সেই ক্ৰীড়াস্থলত উপস্থিত হৈ, সেই দৃশ্য দৰ্শনত তন্ময় হুয়হি। সেই সময়ত দেৱদেৱ ত্ৰিলোচন হৰ-মহেশ্বৰক দেৱী পাৰ্ব্বতীৰ লগত নানা ৰূপ ধাৰণ কৰি কেলি কৰা দেখি যুৱতী কুমাৰী উষাদেৱীৰ অন্তৰতো সেই কেলিকামনাই ঢৌৱাবলৈ ধৰে। অন্তৰ্য্যামিনী দেৱী ভগৱতীয়ে মানবী উষাৰ অন্তৰৰ ভাব বুজিব পাৰি, হাঁহি হাঁহি এই বুলি অযাচিতে বৰ দান দিয়ে, "হে উষা! আগন্তুক বহাগ মাহত শুক্লা দ্বাদশী ৰাতি, তুমি তোমাৰ শয়ন-মন্দিৰত সখী সকলেৰে পৰিবৃতা হৈ হৰ্ম্ম্যোপৰি শয়ন কৰি থাকোঁতে সপোনত যি তোমাৰে সৈতে সহবাস কৰি তোমাৰ ব্ৰহ্মচৰ্য্য ব্ৰত ভঙ্গ কৰিব, তেওঁৱেই তোমাৰ ভৰ্ত্তা হব।" সেই দেৱী-প্ৰদত্ত বৰ অনুসৰি উষাদেৱীৰ এই স্বপ্নকাণ্ড সংঘটিত হয়।—হৰিবংশ, ১৭৪ আধ্যা।

(২) অনেক যক্ষকন্যা, নাগনন্দিনী, দৈত্যদুহিতা, কিন্নৰী আৰু অপেস্বৰা কন্যাসকল উষাদেৱীৰ সখী আছিল। —হৰিবংশ, ১৭৪ আধ্যা।

(৩) বাণ-ৰজাৰ ঘাই-মন্ত্ৰী কুম্ভাণ্ডৰ এই কন্যাৰ নাম প্ৰজ্ঞাদেৱী।—হৰিবংশ।

(৪) হৰিবংশৰপৰা উষা-সপোনৰ সাৰাংশ টুকি তাৰ ভাবাৰ্থবোধক ভাঙনি মাথোন দিয়া হৈছে। এই সপোনেই 'কুমাৰহৰণ'ৰ আঁতি-গুৰি

নিচিনা ব্যভিচাৰত তোমাৰ ব্ৰহ্মচৰ্য্যব্ৰতৰ কোনো ব্যতিক্ৰম ঘটা নাই। হে দেৱী! ধৰ্ম্মজ্ঞ বিপ্ৰৰ্ষিগণে কয় যে, যি নাৰীয়ে মন, বাক্য আৰু কৰ্ম্ম—এই তিনিৰ দ্বাৰাই দুষ্টা হয়, সেই নাৰী হে পাপাচাৰিণী বুলি অভিহিতা হব পাৰে। তুমি সততে ব্ৰহ্মচাৰিণী, আমি তোমাৰ মন কাচিতো বিচলিত হোৱা দেখা নাই; এতেকে তুমি দোষদুষ্টা কিয় হবাঁ? তুমি সতী, সাধ্বী, শুদ্ধস্বভাৱা আৰু মনস্বিনী হৈ নিদ্ৰাদেৱীৰ কোলাত আপোন-পাহৰা হৈ থাকোঁতে তোমাক কোনোবা দেৱতাপ্ৰেৰিত ভৰ্ত্তাই সম্ভোগ কৰিলেহি; গতিকে তোমাৰ ধৰ্ম্মলোপ হোৱা নাই। যাৰ পূৰ্ব্বদুষ্ট মনে প্ৰত্যক্ষ সেই দোষ কাৰ্য্যত ফলিউৱায়, তেনে নাৰীক হে অসতী বোলা যায়।[১] তদুপৰি, আমাৰ এটা কথালৈ স্মৰণ হৈছে যে, ইয়াৰ আগতে এদিন ভৱপূজা উপলক্ষীয় মহোৎসৱত মহাভৈৰৱত ভৈৰৱ-ভৈৰৱীৰ ক্ৰীড়া-কেলি তুমি চাই থাকোঁতে তোমাৰ আন্তৰিক বাসনা বুজিব পাৰি, ভগৱতী গৌৰী স্বৰূপা মহাভৈৰৱীয়ে তোমাক এই বুলি অযাচিতে এটি বৰ দান কৰিছিল, 'বহাগ মাহৰ শুক্ল পক্ষীয়া দ্বাদশীৰ ৰাতি তুমি তোমাৰ শয়নকক্ষত সখী-সৱপৰিবৃতা হৈ হৰ্ম্ম্যোপৰি শুই থাকোঁতে তোমাক ৰুদতী অৱস্থাত যিজনে স্ত্ৰীভাৱে উপনতা কৰিব, সেইজন শত্ৰুনি-বহন শূৰেই তোমাৰ ভৰ্ত্তা হব।' এতেকে, গমি চোৱাঁ, হে দেৱী! ঠিক সেই দিন, সেই ক্ষণ, সেই স্থান, সেই অৱস্থা এতিয়া হয় নে নহয়।"[২]

কুম্ভাণ্ড-জীয়াৰী প্ৰজ্ঞাদেৱীয়ে স্মৰণ কৰাই দিয়াত, বাণৰাজনন্দিনী উষাদেৱীয়ে মহাভৈৰৱী দেৱীৰ বৰদানলৈ সুমৰি চাই বিস্ময় মানিলে। তাৰ পাচত, ভূত-ভবিষ্যত গুনি, হৰ্ষবিহ্বলা হৈ, আনন্দৰ চকু-লো টুকি, কুমাৰীয়ে সখীয়াক সাবটি ধৰি, তেওঁৰ সুবলিত কৰ্ণমূলৰ তলত নিজৰ লাজত অৱনত শিৰক আশ্ৰয় দি, আবেগৰ ঘনউশাহ টানিবলৈ ধৰিলে। উষাদেৱীৰ সেই অপ্ৰস্তুত অৱস্থালৈ মন কৰি, অৰ্থতত্ত্ববিশাৰদা কুম্ভাণ্ডদুহিতাই আকৌ আনভাৱে দু-আষাৰ এই বুলি কবলৈ ধৰিলে, "সখি! অতিকৈ উতলা নহবাঁ এথোন। কিয়নো, তুমি সপোনত যিজন অশ্ৰুত আৰু অদৃষ্ট পুৰুষক ভৰ্ত্তা পাইছিলাঁ, তেওঁৰ কুলকীৰ্ত্তি বা পৌৰুষৰ বিষয়ে তো আমি কেৱেঁ একো নাজানোঁ, তুমি তেওঁৰ স্বৰূপৰ আভাস আৰু বৰ্ণনা নিদিলে আনে সেই নেদেখা-জনক কেনেকৈ চিনিব?" সখীৰ সেই কথা শুনি কুমাৰী হতাশত বিৱশ হৈ ততালিকে মাটিত ঠাচ্‌কৰে পৰি মূৰ্চ্ছা গল! তেতিয়া আকৌ সদৌ সখীয়ে ধৰি-মেলি শুশ্ৰূষা কৰাত অলপ সংজ্ঞা পাই উষা-দেৱীয়ে হতাশত দীঘল হুমুনিয়াহ কাঢ়ি অতি কাতৰস্বৰেৰে এই বুলি মনস্তাপ ব্যক্ত কৰিলে, "হে সখি! সেই মোৰ হৃদয়হাৰী পুৰুষোত্তমৰ আঁতিগুৰিৰ বিষয়ে মই নো কেনেকৈ কওঁ? সেই অনুপম পুৰুষৰত্নৰ উপমাবে বা পাওঁ ক'ত? তেওঁ মোৰ হিয়াৰাজ্য অধিকাৰ কৰি মোৰ অন্তৰ্দৃষ্টিত ফট্‌ফটীয়াকৈ জিলিকি আছে; কিন্তু আনৰ দৃষ্টিত জিলিকাবলৈ মোৰ উপায় নাই!" এনেতে, প্ৰিয়তমা সখী চিত্ৰলেখাই এই বুলি মাত লগালে, "হে সখি! তাৰ উপায় অৱশ্যে হব, তুমি মাথোন প্ৰকৃতিস্থা হোৱাঁ।" সখী চিত্ৰলেখাৰ আশ্বাসত প্ৰাণদান পোৱাদি পাই অতি আথে-বেথে উষাদেৱীয়ে এই বুলি কৈ স্থিৰ হৈ বহিল, "সখি! মই স্থিৰ হৈছোঁ; দিয়াঁ, মোক সেই জীৱন ধাৰণৰ উপায় দিয়াঁ।" তেতিয়া, শান্তিময়ী চিত্ৰলেখাই সেই উপায়-বুদ্ধি সখীমণ্ডলীৰ আগত এই বুলি ব্যক্ত কৰিলে, "যি বিদ্যাৰ বাবে মোৰ নাম চিত্ৰলেখা, সেই বিদ্যাৰ প্ৰভাবেৰেই মই জগতৰ সুপুৰুষ-সকলৰ চিত্ৰ আঁকিম,—দেৱ, দানৱ, যক্ষ, উৰগ আৰু ৰাক্ষসৰ মাজত যি সকল অতি প্ৰভাৱী আৰু প্ৰতাপী, নৰলোকতো যি সকল ৰূপে-গুণে-প্ৰভা-যশস্যাৰ বিশিষ্ট আৰু প্ৰখ্যাত, সেই সকলোৰে চিত্ৰ আঁকি আনি আজিৰ-পৰা সাতদিনৰ মূৰত এখন চিত্ৰপট সকলোৰে আগত মই

(১) উষাদেৱীৰ এই গৰাকী সখী বাণ-ৰজাৰ মহাজ্ঞানী ঘাই-মন্ত্ৰী কুম্ভাণ্ডৰ কন্যা; নাম প্ৰজ্ঞাদেৱী। পিতাক ৰাজমন্ত্ৰীয়ে ৰজাক যেনেকৈ সততে সাৰগৰ্ভ উপদেশ দিছিল, এই মন্ত্ৰীকন্যা সখীও ৰাজকুমাৰীক তেনেকৈ সদায় জ্ঞানগৰ্ভ উপদেশ দানত নিযুক্তা আছিল।

(২) এই দেৱীবাণীৰ বিষয়ে অলপ আগতে এটি টিপ্পনী দি অহা গৈছে।

দাঙ্গি ধৰিমহি ; তেতিয়া তাৰ মাজত বিচাৰি পোৱা যদি, তোমাৰ প্ৰাণপ্ৰতিম সপোনত পোৱা স্বামীগুৰুক বাছি লবা।” ইয়াকে কৈ চিত্ৰলেখাই বিদায় ললে। সেই উক্তিত সখীসকলে তুষ্টি বোধ কৰিলে। মদন-মোহিতা উষাদেৱীয়ে উত্ৰাৱল চিতেৰে গণিবলৈ ধৰিলে, সেই সুদীৰ্ঘ সাতদিনৰ কাহানিকৈ মূৰ পৰে।

সাতদিনৰ মূৰত সেই শয়নকক্ষত আকৌ সখীসব একেঠাই হলহি। সখীমণ্ডলীৰ মাজত উদ্বিগ্নচিতেৰে হা-হুমুনিয়াহ কাঢ়ি চাটিফুটিকৈ থকা বিৰহবিহ্বলা উষাদেৱীৰ আগত এখন বিচিত্ৰ চিত্ৰপট দাঙ্গি ধৰি চিত্ৰলেখাই অতি শুদ্ধচিতেৰে এই বুলি কবলৈ ধৰিলে, “হে সখিসকল! মোৰ প্ৰতিশ্ৰুতি অনুসৰি মই এখন চিত্ৰপট উষাদেৱীৰ আগত দাঙ্গি ধৰিছোঁ, ইয়াত মই দেৱ, দানৱ, কিন্নৰ, উৰগ, যক্ষ, ৰাক্ষস, গন্ধৰ্ব্ব, অসুৰ, দৈত্য আৰু অপৰ ভোগিজাতগণৰ মাজত যি সকল প্ৰধান, আৰু নৰ-ৰত্নৰ মাজত যি সকল বিশিষ্ট, সেই সকলোৰে হুবহু অনুকৃতি আঁকিছোঁ। ইয়াৰ মাজৰপৰা এতিয়া ৰাজ-কুমাৰীয়ে সপোনত পোৱা স্বামীধনক চিনি লওক।” তাৰ পাচত, সেই কথাত সকলোটিয়ে হয় দিয়াত, উষাদেৱীয়ে চিত্ৰপটৰ একালৰপৰা নিবিষ্টচিতেৰে চিত্ৰবোৰ এটা এটাকৈ পৰীক্ষা কৰি চাবলৈ ধৰিলে। চাই চাই অৰ্দ্ধেকৰ অধিক চিত্ৰ পৰীক্ষা কৰি চালে, কিন্তু তাৰ মাজত তেওঁৰ দৃষ্টিয়ে তেওঁৰ ৰতিচোৰক ধৰা পেলাব নোৱাৰিলে, হতাশত উষাদেৱীৰ মুখৰ কান্তি ক্ৰমাৎ ম্লান পৰি আহিল। তাৰ পাচতো চায় হে চায়, কুমাৰীয়ে তেওঁৰ প্ৰাণপ্ৰতিম সপোনত পোৱা পতিধনৰ প্ৰতিকৃতি দেখা নাপায়। তথাপিতো, চাই চাই চাই দৃষ্টি চলাই নি আছে, এনেতে পুৰুষোত্তম যদুসিংহ শ্ৰীকৃষ্ণৰ চিত্ৰত চকু পৰি উষাদেৱী চমক্ খাই উঠিল। কিন্তু, পিচমুহূৰ্ত্ততে ইষ্টগুৰুৰ উপৰিগুৰুজনৰ প্ৰতি যি ভক্তিভাব উদ্ৰেক্ হব লাগে, সেই ভক্তিভাবত গদগদ হৈ তেওঁ ক্ষন্তেক তলমূৰকৈ নিটাল মাৰি ৰল। তাৰ পাচত, আকৌ চাই চাই নি যেতিয়া কন্দৰ্পতনু প্ৰদ্যুম্ন কোৰঁৰৰ চিত্ৰত তেওঁৰ দৃষ্টি পৰিল, তেতিয়া তেওঁৰ বাঞ্ছিত চিত্ৰৰ ওচৰ-সাদৃশ্যৰ আগন্তুক আশাই কুমাৰীক প্ৰকাশ্যে টলাবলৈ ধৰিলে, তেওঁ সেই চিত্ৰৰ চৰণযুগলত একান্ত ভক্তিদৃষ্টি ৰাখি খন্তেক তৰধ লাগিল। তাৰ পাচত, ক্ৰমাৎ আশান্বিত হৈ মূৰ তুলি চাই নিওঁতে নিওঁতে যেতিয়া সদৌশেহত অনিৰুদ্ধ কুমাৰৰ চিত্ৰত কুমাৰীৰ চকু পৰিল, তেতিয়া তেওঁ আনন্দবিহ্বলা হৈ উত্ৰাৱল চিতেৰে এই বুলি চিয়ঁৰ মাৰি উঠিলে, “সখি, সুখি! এইয়া, এওঁৱেই,—এওঁৱেই মোৰ ব্ৰহ্মচৰ্য্যব্ৰতনাশী সতীত্বৰক্ষক প্ৰাণনাথ।”

চিত্ৰলেখাৰ লেখনিত যেতিয়া চোৰ ধৰা পৰিল, তেতিয়া সখীমণ্ডলীৰ অনুৰোধত তেওঁ সেই পুৰুষ জনৰ নাম গুণ, শীল, অভিজাত্য আৰু আঁতিগুৰিৰ বিষয়ে এই বুলি চমুকৈ চিনাকি দি থলে, “হে সখিসকল! এই মদনমোহন পুৰুষ-ৰতন আন কোনো নহয়, ৰুক্মিণীনাথ যাদৱকেশৰী ভগবান শ্ৰীকৃষ্ণৰ নাতি, আৰু বৃষ্ণিকুলতিলক ৰুক্মিণীনন্দন প্ৰদ্যুম্ন কোৰঁৰৰ পুত্ৰ,—কুমাৰ অনিৰুদ্ধ। কুমাৰ এতিয়া শ্ৰীকৃষ্ণৰক্ষিত মতাৰ অমৰাৱতী দ্বাৰাৱতীত[১] সুৰক্ষিত। মহাসুৰ বাণৰাজৰক্ষিত শোণিতপুৰলৈ যি ৰূপে ভীমবিক্ৰম আদিত্য, বসু, ৰুদ্ৰগণ কিম্বা মহাতেজঃসম্পন্ন অশ্বিনীকুমাৰ যুগলৰো প্ৰৱেশ দুসাধ্য, তদ্ৰূপ যাদৱকেশৰী শ্ৰীকৃষ্ণৰ দ্বাৰাই ৰক্ষিত দ্বাৰাৱতীলৈ প্ৰৱেশো দুঃসাধ্য।”[২]

চিত্ৰলেখাৰ লেখনিয়ে উষাপ্ৰাণত যি দৰে সঞ্জীৱনী শক্তি সঞ্চাৰ কৰিছিল, দ্বাৰাৱতীলৈ দুৰ্গম বিষয়ক তেওঁৰ মৌখিক বৰ্ণনাই সেইদৰে আনপাকে সেই প্ৰাণ আকৌ আকুল কৰি তুলিলে। উষাদেৱীয়ে অতি আতুৰভাৱে সখীসকলক এই বুলি কাকুতি-মিনতি কৰিবলৈ ধৰিলে, “হে মোৰ দেহৰক্ষিণী মৰমৰ সখিসকল! মোক ধৈৰ্য্যতাই এৰা দিছে। উপস্থিত সমস্যাৰ পাৰ পাবলৈ মোৰ যুগুত ভেলা নাই, আঁচা মাথোঁ বিপদবন্ধু তোমালোক। যাতে এই গতিহীনাৰ সদগতি

(১) দ্বাৰকা ৰাজ্যৰ ৰাজধানীৰ নাম দ্বাৰাৱতী।
(২) ইয়াৰ আগেয়ে মধ্যলীলা খণ্ডত শ্ৰীকৃষ্ণৰ দ্বাৰকা-নগৰী সংস্থাপন বিষয়ক বৰ্ণনা বিস্তাৰিতভাৱে দিয়া গৈছে।

হয় তাৰ উপায়-যুগুতি কৰাঁইক ; নহলে এই শৰীৰ-সজাত মোৰ প্ৰাণপখীক আৰু সৰহপৰলৈ বন্দী কৰি ৰাখিব নোৱাৰিবাইক।" কুমাৰীৰ সেই মৰ্মস্পৰ্শী উক্তি শুনি সখী কুষ্মাণ্ডদুহিতা প্ৰজ্ঞাসুন্দৰীয়ে এইবুলি বুজনি দিবলৈ ধৰিলে "হে সখি! উপায়-যুগুতি অসম্ভৱ নহয়, আমাৰ সুযোগ্যা সখী চিত্ৰলেখাই যত্ন কৰিলে সি যে সহজে সম্ভৱপৰ হব, তাত ধনিষ্ঠামানো সন্দেহ নাই। কিয়নো, আমাৰ প্ৰিয়তমা সখী চিত্ৰলেখা নৰদেৱতাদিৰ স্বৰূপ চিত্ৰ অঙ্কনত যেনে সিদ্ধহস্তা, দেশ, নগৰ, পুৰ, দুৰ্গ, দুৱাৰ আদিৰ থিতি বিধি বিষয়ক তত্ত্বজ্ঞানতো এগৰাকী তেনে পণ্ডিতা ৰমণী। এতেকে, তেওঁৰ আপোন দিহা অনুযায়ী ব্যৱস্থাৰেই এতিয়া তেওঁ দ্বাৰাৱতীলৈ উপস্থিত উদ্দেশে দূতী স্বৰূপে যাত্ৰা কৰোক, তেওঁত আমাৰ এই অনুৰোধ।" কুষ্মাণ্ডদুহিতা প্ৰজ্ঞাসুন্দৰীৰ সেই সাৰগৰ্ভ কথাত সকলোটি সখীয়ে এককণ্ঠে 'হয়' দিয়াত, চিত্ৰলেখাই অগত্যা সেই অনুৰোধ শিৰোধাৰ্য্য কৰি, দ্বাৰকা-যাত্ৰালৈ আনন্দমনেৰে আগ বাঢ়িলে।

যথাসময়ত অদ্ভুত কৌশল আৰু আচৰিত ব্যৱস্থাৰে সৈতে[১] গৈ চিত্ৰলেখা দ্বাৰকাত উপনীতা হলগৈ। তেওঁ উপস্থিত হৈয়েই পোনেই বাসুদেৱৰ ভৱনাস্তিকত থিত্ ললেগৈ।[২] তাত জিৰণি লোৱাৰ ছেগতে তেওঁ নিশ্চিতবুদ্ধি হৈ চিন্তালোচনা কৰিবলৈ ধৰিলে, কি উপায়েৰে নো কুমাৰ অনিৰুদ্ধক অকলে লগ পাব পৰা যায়। তাৰ পাচত, তেওঁ দ্বাৰাৱতীৰ কেন্দ্ৰস্থলত যাদৱশ্ৰেষ্ঠ বৃষ্ণি ফৈদৰ কোঁৱৰসকলৰ চিত্ৰ-বিচিত্ৰ অন্তঃপুৰ আৰু বিলাসভৱনবোৰত অতি সাৱধানে ভুমুকিয়াই চাই চাই কুমাৰ অনিৰুদ্ধক অন্বেষণ কৰিবলৈ ধৰিলে। তেওঁ দ্বাৰাৱতীৰ অন্তৰ্স্থিত চৌপাশৰ চমৎকাৰ ৰাজভৱনবোৰত পাত্‌পাত্‌কৈ বিচাৰি চালে, কিন্তু কুমাৰক ক'তো দেখা নাপালে। সদৌশেষত হতাশ হৈ ঘূৰি থাকি ফুৰি ফুৰি চিত্ৰলেখাৰ সেই প্ৰাসাদমালাৰ কেন্দ্ৰস্থলস্থিত এটি সুবৃহৎ বিলাসভৱনৰ সন্মুখত উপস্থিত হলগৈ। তাত ৰমণীমণ্ডলীৰ মাজত তেওঁ অনিৰুদ্ধ কোঁৱৰক স্বামযাকৈ দেখা পালে। তেওঁ দেখিলে, পৰম ৰমণীয় যদুকুলনাৰী নক্ষত্ৰ মণ্ডলীৰ মধ্যত প্ৰদ্যুম্ন কোঁৱৰ কৃষ্ণ-কুলীনাথ কুমাৰ অনিৰুদ্ধ পূৰ্ণিমাৰ জোনযেনকৈ জিলিকিব লাগিছে। অপেস্বৰাযেন শত-শত যাদবী সুন্দৰী তেওঁৰ সেৱাত তৎপৰকা আছে। সেই বিলাসমন্দিৰত সমতাল বাদ্য আৰু মধুৰ সঙ্গীতৰ সুৰত যেন স্বৰ্গ-মৰ্ত্ত্য একেঠাই হৈ ৰৈছে! সেই তালত হিয়া নচুৱাই, সেই সঙ্গীতৰ সুৰত মন উটুৱাই, সেই নিৰুপমা নাৰীবৰ্গে কৃষ্ণনাতি অনিৰুদ্ধ কুমাৰক আবৰি ধৰি আপোন-পাহৰা হৈ নৃত্যগীতি কৰি আছে। কুমাৰ কিন্তু নিজে সেই সুখ-শান্তি অনুভৱত নাই, তেওঁ আন কিবা এটা ভাবত বিমনা হৈ ৰৈছে; কিবা উদ্দেশে তেওঁৰ মন-প্ৰাণ চঞ্চল, উদাস আৰু উৰোঁ-উৰোঁ! তেওঁৰ মনোভাব আৰু বাহ্যিক গতি-গোত্ৰলৈ নিবিষ্টমনেৰে লক্ষ্য কৰি থাকি, অৰ্থতত্ত্ববিশাৰদা চিত্ৰলেখাই অনুমানত ধৰি উঠিল যে, তেওঁৰ সখী উষাদেৱীৰ দৰেই কামদেৱনন্দন[৩] অনিৰুদ্ধ কুমাৰক সপোন ৰাজ্যৰ কিবা এটি ৰাগিয়ে বিষমকৈ টলাইছে। চিত্ৰলেখাৰ এই ধাৰণা মনত দৃকৈ বহিল যে, আত্মাই আত্মাক অন্বেষণ কৰে; সপোনৰাজ্যত তেনেকুৱা আত্মাৰ অদ্ভুত মিলনো হয়। এতেকে, উষাদেৱীক যাৰ মোহন মূৰ্ত্তিয়ে বিচলিত কৰিছে, জানোবা তেওঁকো সেই দৰেই উষাদেৱীৰ অনুপমা মূৰ্ত্তিয়ে টলাব লাগিছে? ইত্যাদি গুণ-গঁথা কৰি অতি বুদ্ধিমতী আৰু

---

(১) চিত্ৰলেখা পাখিলগা পৰী সদৃশ্ আছিল। অৰ্থাৎ, আধুনিক বিজ্ঞানৰ বলত মানুহে পাখি লগাই উৰিবলৈ শিকিছে; তেতিয়া পৌৰাণিক অত্যুন্নত বিজ্ঞানৰ বলত এভাগ মানুহে উৰি ফুৰিব পাৰিছিল। সেই উৰণ-বিদ্যা তেতিয়া ঘাইকৈ নাৰীৰ মাজত হে প্ৰচলিত আছিল। এতেকে, অদ্ভুত বিদ্যাৱতী বিচিত্ৰ চিত্ৰলেখা এগৰাকী পাখিলগোৱা নাৰী হোৱাটো আচৰিত নহয়। তেওঁ পাখিৰে সৈতে আকাশেদি উৰি গৈ একে ৰাতিৰ ভিতৰতে দ্বাৰকা নগৰীত সোমোৱাটোও একো আচৰিত কথা নহয়।

(২) শ্ৰীকৃষ্ণৰ শয়নমন্দিৰ দ্বাৰাৱতীৰ কেন্দ্ৰস্থলত প্ৰতিষ্ঠিত। সেই মন্দিৰৰ আশে-পাশে আৰু ভালেমান আলহীৰ জিৰণি-মন্দিৰ আছিল।

(৩) প্ৰদ্যুম্ন কোঁৱৰৰ অপৰ নাম কামদেৱ

সুকৌশলা চিত্ৰলেখাই উষাদেৱীৰ চিত্ৰপট এখনি সমুখকৈ বাওঁহাতে নিজৰ বুকুত লগাই ধৰি, সোঁহাতেৰে অনিৰুদ্ধ কুমাৰৰ অনুকৃতি চিত্ৰ এখনি দাঙ্গি ধৰি, নিলগত কুমাৰৰ দৃষ্টি সাপেক্ষত একেঠৰে বুকু পাতি থিয় হৈ আছে; এনেতে হঠাৎ সেই চিত্ৰাৰ্পিত বক্ষলৈ কুমাৰ অনিৰুদ্ধৰ চকু পৰিল। দেখামাত্ৰে উষাচিত্ৰিত চিত্ৰপটে তেওঁক অকস্মাৎ বিচলিত কৰি তুলিলে। পিচমুহূৰ্ত্তত, সাক্ষাৎ যুগলমূৰ্ত্তি স্বৰূপে, তেওঁৰ নিজৰ চিত্ৰাকৃতিও একেলগে চিত্ৰলেখাৰ বুকুত সংলগ্ন দেখি অত্যধিক বিস্ময় মানি মনে মনে কিবা কথা সুমৰি চাই কুমাৰ তৰধ লাগিল! তাৰ পাচত, তেওঁ সেই নাৰীমগুলীক তন্ময় ভাবত তাতে এৰি থৈ, চাঁটকৰে বাহিৰলৈ ওলাই আহি চিত্ৰলেখাৰ আগত থিয় দিলেহি। অনিৰুদ্ধ কুমাৰে উষাচিত্ৰটিলৈ একান্ত মনেৰে চাই চাই এটি দীঘল হুমুনিয়াহ পেলাই, চিত্ৰলেখাৰ পৰিচয় লবলৈ ধৰিলে। সেই ছেগতে, আনে নেদেখাকৈ কুমাৰক সঙ্কেতেৰে আঁৰললৈ মাতি নি, চিত্ৰলেখাই তেওঁৰ দ্বাৰকা-আগমনৰ গুপুত উদ্দেশ্যৰ বিষয়ে বিবৰি কলেগৈ। সেই বিৱৰণৰ কথা-প্ৰসঙ্গত, উষাদেৱীয়ে অনিৰুদ্ধ কুমাৰক সপোনত পতিভজনা কৰা বৰ্ণনা শুনি, অতিকৈ বিস্ময় মানি কুমাৰে নিজ দশা গুণিবলৈ ধৰিলে। তেওঁ অতিশয় বিস্ময়ভাৱে চিত্ৰলেখাক তেওঁৰ মনোভাব ভাঙ্গি কলে যে, তেওঁৰো সেই একে দশা! —তেওঁৰো ঠিক সেই ৰাতি, সেই ক্ষণতে, সেই অনুপমা ৰূপহী উষাদেৱীক সপোনত পত্নীৰূপে সম্ভোগ কৰিছিল! আৰু, সেই ক্ষণ ধৰি তেওঁৰ প্ৰতি তেওঁৰ একান্ত ধাউতি হৈছে। তাৰ পাচত, অনিৰুদ্ধ, কুমাৰে উষা-মিলনৰ উদ্দেশে শোণিতপুৰলৈ যাত্ৰা কৰাৰ অভিপ্ৰায় চিত্ৰলেখাত উপযাচি জ্ঞাপন কৰিলে। সেই কথাত সিদ্ধসঙ্কল্প বিবেচিত হৈ চিত্ৰলেখাই অতি হৃষ্টচিত্তেৰে কুমাৰৰে সৈতে গুপুতে আলচ পাতি এই স্থিৰ কৰিলে যে, চিত্ৰলেখাৰ ওলটা-যাত্ৰাতে কুমাৰেও শোণিতপুৰলৈ যাত্ৰা কৰিব; কিয়নো, প্ৰকাশ্যে সেই কাৰ্য্য হৈ উঠা অসম্ভৱ বিশেষতঃ, যদুসিংহ ভগবান শ্ৰীকৃষ্ণৰ অনুপস্থিতিত যাদৱসকলে সেই গুৰুতৰ বিষয়ত তেওঁক সন্মতি দিয়াৰ সম্ভাৱনা নাই। গতিকে, কুমাৰৰ শোণিতপুৰ-যাত্ৰা গোপনে হোৱাটোৱে স্থিৰ হল।

চিত্ৰলেখাৰ উদ্দেশ্য সিদ্ধি হল। কিন্তু, সেই বাবে তেওঁ আনন্দবিহ্বলা নাছিল। তেওঁ সুদূৰ আৰু অতিসূক্ষ্ম দৃষ্টিৰে আগধৰি দেখিছিল যে, শোণিতপুৰত গৈ কুমাৰ নিৰাপদ নহবগৈ; তাত তেওঁ নিশ্চয় বাণ-ৰজাৰ হাতত বন্দী হবগৈ লাগিব। আৰু, তাৰপৰা তেওঁক মুক্ত কৰিবলৈ এক শ্ৰীহৰি শ্ৰীকৃষ্ণত বাজে আনৰ ক্ষমতাই নাটিব।[১] সেই কাৰণে বুদ্ধিমতী সুকৌশলা চিত্ৰলেখাই আকাৰত সাকাৰ দেখুৱাই আৰু বিশেষণেৰে সবিশেষ বুজাই এটা সাঙ্কেতিক চিত্ৰ বাসুদেৱৰ শয়ন মন্দিৰৰ দেৱালত ফটুফটীয়াকৈ আঁকি থৈ, অতি গোপনে অনিৰুদ্ধ কুমাৰক হৰণ কৰি লৈ শোণিত-পুৰলৈ ওলটা-যাত্ৰা কৰিলে।

দ্বিতীয় আধ্যা

উষা-হৰণ

যি কৌশল আৰু যি বাহনেৰে[২] গৈ চিত্ৰলেখাই দ্বাৰাৱতীত প্ৰৱেশ কৰিছিলগৈ, তদ্ৰূপ কৌশলেৰেই

---

(১) এয়ে শোণিতপুৰত হৰি-হৰ যুদ্ধৰ সূচনা।

(২) সম্ভৱতঃ কোনো পক্ষীবাহনত, বা পাখিবিশিষ্ট আকাশীযানত চিত্ৰলেখাই সেই যাত্ৰাত যাতায়াত কৰিছিল। পুৰণি অসমত পোন্-প্ৰথমে বৈজ্ঞানিক কৌশলেৰে আকাশী-যান বা আজিকালিৰ 'এৰোপ্লেন' সৃষ্টি হোৱাৰ ইয়ো এটা বিশিষ্ট প্ৰমাণ। ইয়াৰ পাচত, যথাঠাইত কুৰুক্ষেত্ৰ মহাৰণত পুৰণি অসমৰ হিড়িম্বা নগৰীৰ কোৱঁৰ হিড়িম্বা-তনয় ভীমনন্দন ঘটোৎকচৰ আকাশী ৰণে সেই প্ৰমাণ পুনৰপি সপ্ৰমাণিত কৰিছে। বাস্তৱতে, পুৰণি কামৰূপ বা আগৰ অসম যে বৈজ্ঞানিক চৰ্চ্চাতো পৃথিবীৰ ওপৰত এখন অগ্ৰগণ্য দেশ আছিল, সেই সংজ্ঞা চিত্ৰলেখাৰ 'কুমাৰহৰণ' আৰু ঘটোৎকচৰ আকাশী ৰণে ভাঠি সমৰ্থন কৰে। নাইবা, আজিকালিও চিত্ৰিত হোৱা পৰীৰ পাখি-লগা ছবিবোৰৰ সঙ্কেতত ধৰিব পাৰি যে, অতি পুৰণি কালত অসাধাৰণ কৌশলী নাৰীয়ে গুটীয়াকৈ পাখি পিন্ধি উৰি ফুৰিছিল; অদ্ভুত কৌশলী চিত্ৰলেখা সেই বিধৰে

আৰু তদ্ৰূপ বাহনেৰেই[১] কুমাৰ অনিৰুদ্ধক লৈ তেওঁ উলটি বাণৰাজ্যৰ কন্যাৰপুৰৰ উষা-নগৰত প্ৰৱেশ কৰিলেহি। নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত অসাধ্য সাধন কৰি আহি চিত্ৰলেখা যথাস্থানত উপস্থিত হলহি। তাৰ পাচত, তেওঁ অতি গোপনে আৰু অতি সাৱধানে উষা-অন্তঃপুৰলৈ কুমাৰক আঁৰকৈ লৈ গৈ অতি পুলকিত চিত্তেৰে সখীয়া উষাদেৱীৰ আগত উপনীত কৰালেগৈ। পোন্-প্ৰথম দৃষ্টিত চাৰি-চকুৰ সম্মিলন হোৱা মাত্ৰকে কুমাৰ আৰু কুমাৰীয়ে দুইৰো লাঞ্ছিত সপোন-সম্পদ দিঠকত লাভ কৰি দুয়ো অতি বিস্ময় মানি তলমূৰ কৰিলে! ক্ষন্তেকৰ পাচত মূৰ তুলি দুয়ো দুইলৈ ঠৰ্‌লাগি চাই ৰৈ, সপোন আৰু দিঠকৰ স্বৰূপ ৰূপ অন্তৰে অন্তৰে বিজাই চাবলৈ ধৰিলে। চাই চাই চাই দুয়ো আনন্দ-উলাহৰ হেন্দোলনিত পুলকিত হৈ, হৰিষৰ ঘন-হুমুনিয়াহ পেলাবলৈ ধৰিলে। সেই হুমুনিয়াহৰ পিহনত পানীকৃত হৈ চাৰিগালে চাৰি-ধাৰি মুকুতাৰ পানী যেন চকু-লোৰেদি প্ৰেমৰস বৈ বৈ ববলৈ ধৰিলে! এনেতে, ছেগ বুজি চাঁট্‌কৰে চতুৰা চিত্ৰলেখা নেদেখা হল!—প্ৰেমিক-প্ৰেমিকা নিজানে-নীৰলে চকু-চোৱাচুই হৈয়ে ৰল! ভালেখিনি পৰলৈকে ভেলেঙ্গা-ভেলেঙ্গী শৰৰ দৰে দুয়ো আপোনপাহৰা হৈ নিটাল মাৰি ৰল। তাৰ পাচত, কুমাৰীয়ে আগধৰি সংজ্ঞা লাভ কৰি প্ৰেমগদগদভাৱে কওঁ-নকওঁকৈ এই বুলি কুমাৰক সম্ভাষা কৰিলে, "হে হৃদপতি! আপুনি মোৰ অচিনাকি নহয়। যি জনে সপোনৰ ছেগ ধৰি চোৰৰ বৃত্তিৰে মোৰ হৃদয়ৰ অমূল্য ৰত্ন সতীত্ব সম্পত্তি হৰণ কৰি নি মাজতে মোক অনাথিনী কৰি ৰং চাইছিল, সেই জনেই এই আপুনি। মোৰ প্ৰাণ লৈ দেহা এৰি নিকৰুণভাৱে গৈছিল কিয়?—এতিয়া এই ভেলাধাৰিণী অনাথিনীক শ্ৰীচৰণত থান্ দিয়ক নাথ!" এই বুলি প্ৰেমোন্মাদিনী উষাদেৱী অনিৰুদ্ধ কুমাৰৰ দুখানি চৰণত উভালি পৰিল! কুমাৰৰো সেই একে দশা! তেওঁৰো সেই অদ্ভুত মিলনত আপোন-পাহৰা হৈ ঠৰ্ লাগিল! তথাপি, ততালিকে ক্ষন্তেকলৈ হেৰোৱা সংজ্ঞা পুনঃলাভ কৰি, তেওঁ উদ্ভ্ৰান্তা প্ৰেমিকা প্ৰাণপ্ৰতিম হিয়াৰাণী উষাদেৱীক আথে-বেথে দাঙ্গি ধৰি, আবেগৰ নিশ্বাসেৰে শিৰ শুঙ্গি, এই বুলি প্ৰেম-প্ৰতিদান দিলে, "হে দেৱী! হে মিতভাষিণী! হে মোৰ হৃদ্‌ৰাজ্যৰ পটেশ্বৰী! মই সৰল অন্তৰেৰে সৈ লৈছোঁ, মই সঁচাকৈয়ে চোৰ। মই চৌৰবৃত্তি ধৰি সেই ৰাতি—সেই অদ্বিতীয়া ৰাতি—তোমাৰ সদনত নথৈ অপৰাধ কৰিলোঁ! সেই বাবে মই সৰ্ব্বতোভাৱে দণ্ডনীয়। এতিয়া তোমাৰ পাটলিত পৰিছোঁহি, তুমি যেই কৰা সেই। কিন্তু, হে মদনমোহিনী ৰতিসতী দেৱী! সেই জনৰ দশাও দয়া কৰি গমি চাবাচোন, যিজনৰ অন্তৰৰ সৰ্ব্বস্ব ঠিক সেই ৰাতিয়েই সেই ক্ষণতে তুমিও সেই চৌৰবৃত্তিৰেই হৰি আনি তেওঁক কেনেকৈ ভেলাভাৰী কৰি এৰি থৈ আহিছিলা! পৰম মিত্ৰা চিত্ৰলেখা সখীয়াই অযাচিতে অনুগ্ৰহ কৰাৰ ফলত যেনিবা আজি এই দেহাধাৰীয়ে তোমাৰ সদনত পুনঃ প্ৰাণ ভিক্ষা কৰিবলৈ এই অদ্ভুত ছেগ পাইছে। হে দেৱী! তেওঁৰ সৰল কামনা যেন পূৰ্ণ হয়। হে সুন্দৰী! মই ইতিপূৰ্ব্বে এই সুমহৎ কন্যাপুৰ কাচিতো দেখা নাছিলোঁ, মাথোন সেই অদ্বিতীয়া ৰাতি, আৰু সেই অদ্বিতীয়া অদ্ভুত সপোনৰ মায়াৰ আবেশে তুমি হৰি আনি ইয়াত,—এই ঠিক সেই অন্তঃপুৰ-সোণৰসজাত মোৰ প্ৰাণপখীক বন্দী কৰাৰ আগেয়ে মই এই সুৰম্য পুৰী সপোনতো দেখা নাছিলোঁ। প্ৰাণেশ্বৰী! এতিয়া তোমাৰ শৰণাগত হৈছোঁহি, তুমি প্ৰসন্না হোৱা।" এই বুলি অনিৰুদ্ধ কুমাৰে প্ৰগাঢ় আলিঙ্গন দি উষাদেৱীক সাবটি ধৰি প্ৰেমগদগদ হৈ ঘন উশাহ সলাবলৈ ধৰিলে!

উষাদেৱী বিমোৰ! তেওঁৰ মহা সমস্যা উপস্থিত। উপস্থিত আবেগৰ সম্মিলনত তেওঁ কি কৰে এতিয়া?

এগৰাকী পাখি লগাই উৰিফুৰা বুদ্ধিমতী নাৰী থকাটোও বিচিত্ৰ নহয়।

(১) সম্ভৱতঃ, অনিৰুদ্ধ কুমাৰ সেইকালৰ গৰুড়-বাহনেৰে আহিছিল। পাখিলগা চিত্ৰলেখাই বাট লগাই দি অনাটোৱেই খুব সম্ভৱ। সেইকালত দ্বাৰকাত যে গৰুড়-বাহন ব্যৱহৃত হৈছিল, শ্ৰীকৃষ্ণ-বাহন গৰুড়েই তাৰ বিশিষ্ট প্ৰমাণ। যথাঠাইত এই সম্পৰ্কে আৰু অলপ বহলাই মন্তব্য দিয়া হব।

লোকৰঞ্জককৈ বাহ্যিক স্বামীত্ব লাভ হোৱাৰ আগেয়ে তেওঁ কুমাৰৰ হাতত দিঠকত সতীত্ব অৰ্পণ এতিয়া কৰে কি মতে? যি সতীত্ব ৰক্ষাৰ্থে তেওঁৰ কঠোৰ ব্ৰহ্মচৰ্য্য, সেই সতীত্ব বিধিবদ্ধকৈ সুৰক্ষিত নোহোৱালৈকে তেওঁ প্ৰাণ-প্ৰতিম কুমাৰৰ আৰু নিজৰ অন্তৰৰ আবেগ এতিয়া কি উপায়েৰে পৰিতৃপ্ত কৰে? এই অপাৰ সমস্যাৰ পাৰ নেদেখি উষাদেৱী অস্থিৰ হৈ পৰিল, তেওঁ ঠক্‌ঠক্‌কৰে তীৰকঁপে কঁপিবলৈ ধৰিলে! এনেক্ষণত, আঁৰৰপৰা ৰং-চাওঁতী ৰংমতী সুচতুৰা সখী চিত্ৰলেখাই বিপদবন্ধু ৰূপে পুনঃ দেখা দিলেহি। তেওঁ কিংকৰ্ত্তব্য বিমোৰা আবেগবিহ্বলা সখীৰ অৱস্থা বুজি অনতিপলমে যুগুত ব্যৱস্থা কৰিলেহি। চিত্ৰলেখা আৰু কুম্ভাণ্ড-দুহিতা প্ৰজ্ঞাসুন্দৰী প্ৰমুখ্যে সখী-সকলৰ সাক্ষাত ৰুক্মিণীনন্দন প্ৰদ্যুম্নতনয় কৃষ্ণনাতি অনিৰুদ্ধ কুমাৰ আৰু মহাসুৰ বিৰোচননন্দননন্দিনী[১] কুমাৰী উষা-দেৱীৰ দাম্পত্য সম্বন্ধ গান্ধৰ্ব্ব বিবাহবন্ধনেৰে সম্পাদিত কৰা হল। তাৰ পাচত, ছেগ বুজি সখীসকল চাঁত্‌কৰে অন্তৰ্হিত হোৱাত, উষা-অনিৰুদ্ধৰ মধুমিলন সম্ভোগৰ সুযোগ পুনঃ উন্মিলিত হল।

গান্ধৰ্ব্ব বিবাহৰ পাচত, দিনচেৰেক নিৰ্ব্বিবাদে আৰু নিৰাপদে উষা-অনিৰুদ্ধৰ সুখৰ দিন পাৰ হল। তাৰ পাচত, সেই আবুৰৰ মিলনৰ কথা ক্ৰমাৎ বাজ হবলৈ ধৰিলে। উষা-অন্তঃপুৰ ৰখীয়া বাণ-অনুচৰবৰ্গে সম্ভেদ্ পাই সেই বিষয়ক যথাযথ বৃত্তান্ত বাণ-ৰজাত গোচৰ দিলেগৈ। অমিত্ৰঘাতী বীৰ বলিনন্দন মহাসুৰ বাণ-নৰপতিয়ে সেই উষা-হৰণ[২] বিষম সংবাদ পাই ভীম আক্ৰোশেৰে গৰ্জ্জি উঠি, অজ্ঞাত কুমাৰ অনিৰুদ্ধৰ নিগ্ৰহাৰ্থে কিঙ্কৰসৈন্যবৰ্গক তেওঁ এই বুলি আদেশ দিলে, "যি দুহিতাস্থাই আহি চৌৰ-বৃত্তিৰে আমাৰ কুলচৰিত্ৰ কলুষিত কৰিছেহি, সেই দুৰ্ম্মতিক তইঁতে তুৰন্তে বিনাশ কৰগৈ। অহঃ, উষা ধৰ্ষিতা হোৱাত আমাৰ এই মহৎ কুলো ধৰ্ষিত হৈছে। যি মূঢ়ই, যি অহঙ্কাৰীয়ে মোৰ দেৱদুৰ্গম কন্যাপুৰলৈ নিৰ্ভয়ে প্ৰৱেশ কৰি, বিনাসম্প্ৰদানে মোৰ কুলকন্যাৰ সতীত্ব হৰণ কৰিলেহি, সেই নিৰ্ব্বোধ দুৰাকাঙ্ক্ষীৰ কি বীৰ্য্য! কি ধৈৰ্য্য!! কি ধৃষ্টতা!!![৩]।" মহাসুৰ বলিনন্দন বাণ নৰপতিৰ তৰ্জ্জন-গৰ্জ্জনপূৰ্ণ আদেশ ততালিকে শিৰোধাৰ্য্য কৰি, তেওঁৰ মহতী বাহিনীয়ে গগনভেদী হুঙ্কাৰ ছাৰি কৃষ্ণনাতি অনিৰুদ্ধ কুমাৰক বধিবৰ অৰ্থে কন্যাপুৰমুখে ধাবিত হল।

উষা-অনিৰুদ্ধৰ সুখমিলন সংঘটনৰ পৰিণামত যি বিষম প্ৰমাদ ঘটিবৰ আশঙ্কা আছিল, সেই বিষয়ক চিন্তাচিত্ৰ চিত্ৰলেখাই কৃষ্ণভৱনত আগধৰি আঁকি থৈ আহিছিল। এতিয়া, ইফালে বাণ-ৰজাৰ মহতী বাহিনী অনিৰুদ্ধ বধাৰ্থে বাহিৰ হোৱা দেখি, সিফালে আগধৰি পাঙ্গি অহা মতে, এই বিপদসংবাদ যথাসময়ত যদুসিংহ শ্ৰীকৃষ্ণৰ কৰ্ণগোচৰ কৰাৰ উদ্দেশে চিত্ৰলেখাই আকৌ অনতিপলমে অৱস্থা চাই ব্যৱস্থা উদ্ভাৱন কৰিলে। সেই উদ্দেশে পোন্-প্ৰথমে তেওঁ এটি পত্ৰবাহক পখী[৪] দ্বাৰকাৰ অভিমুখে প্ৰেৰণ কৰিলে। তাৰপাচত, সৰ্ব্বত্ৰব্যাপী[৫] দেৱৰ্ষি নাৰদ মুনিৰ সাক্ষাৎ লাভ কৰি, সেই দ্ৰুতগামী চমুপন্থাবিশাৰদ মুনি-ৰাজক কৃষ্ণসদনলৈ যাত্ৰা কৰালে। সিফাললৈ সেই উপায় বিধান কৰি উঠি, ইফালে চিত্ৰলেখাই বুদ্ধিমতী সখীয়া প্ৰজ্ঞাসুন্দৰীৰে সৈতে সুপৰামৰ্শ কৰি, কৃষ্ণনাতি অনিৰুদ্ধ কুমাৰৰ সাহায্যাৰ্থে উষাঅন্তঃপুৰ ৰখীয়া দানৱ সৈন্যবৰ্গক গুপুতে সাজু ৰাখিবলৈ যুগুত দিহা লগাই থলে।

চাওঁতে চাওঁতে আহি বাণ বাহিনীয়ে উষা-অন্তঃপুৰ অৱৰোধ কৰিলেহি। চাৰিওফালে ধৰ-ধৰ মাৰ-মাৰ শব্দৰ কোঢ়াল লাগি উঠিল। সেই কোঢ়াল শুনি উষানন্দ

(১) বাণনন্দিনী উষা। বাণ-ৰজাৰ পিতৃৰ অন্যতম নাম বিৰোচন।

(২) অসমত প্ৰখ্যাত 'উষা-হৰণ' নাটিকাৰ এয়ে আঁতি-গুৰি।

(৩) হৰিবংশ, ১৭৫ আধ্যা।

(৪) পাৰ-পখীয়ে দূৰ-বিদেশলৈ পত্ৰ বহন কৰা কৌশল কোনো কোনো দেশত এই যুগতো প্ৰচলিত থকাৰ পটন্তৰ অদ্যাপি বিদ্যমান।

(৫) পৰিব্ৰাজক মহাঋষি নাৰদ মুনিয়ে সঘনে সৰ্ব্বত্ৰে ভ্ৰমি ফুৰে। নানা ঠাইত তেওঁৰ ভ্ৰমণ এনে সঘন যে, তেওঁক প্ৰায়ে য'তে-ত'তে যেতিয়াই-তেতিয়াই সাক্ষাৎ পোৱা যায়। সেই আপাহতে তেওঁক সৰ্ব্বব্যাপী বোলা যায়।

প্ৰদ্যুম্ননন্দন পোনেই চঁকখাই উঠিছিল; পিচে আসন্ন বিপদ উপস্থিত জানি মহাবাহু অনিৰুদ্ধ কুমাৰ তুৰন্তে শক্ৰৰ সমুখ হবলৈ সচেষ্ট হল। কিন্তু, বাণ-বাহিনীয়ে অনিৰুদ্ধবধসূচক হুঙ্কাৰ যতেকে ঘনাই উচ্চাৰিবলৈ ধৰিলে, বাণনন্দিনী উষাদেৱীৰ নাৰীসুলভ কোমল প্ৰাণ ততেকে আতঙ্কত অস্থিৰ হৈ পৰিল! সাধ্বী-সতী দৈত্যকুল-কুমাৰীয়ে লাজ-জ্ঞান মান-অপমান সমস্তলৈকে আওকাণ কৰি প্ৰকাশ্যে যদুনন্দন অনিৰুদ্ধ কুমাৰৰ কল্যাণাৰ্থে মুক্তকণ্ঠে আকুল অন্তৰে আৰু একান্ত চিত্তেৰে ঈশ্বৰস্তুতি কৰিবলৈ ধৰিলে। পতিপ্ৰাণা প্ৰিয়তমাক আতিকৈ আকুল হোৱা দেখি, কৃষ্ণনাতি প্ৰদ্যুম্ননন্দনে পিতামহী ৰুক্মিণী-দেৱীৰ তদ্ৰূপ আপদকালৰ উদ্ধাৰ কাহিনীৰ বৰ্ণনা শুনাই উষাদেৱীক এই বুলি অভয় দান দিবলৈ ধৰিলে, "হে প্ৰিয়া! অধৈৰ্য্যা নহবা। মোৰ কাৰণে তুমি লেশমানো আশঙ্কা নকৰিবা। মই মোৰ মহাৰথ পিতৃদেৱ প্ৰদ্যুম্ন কোৱঁৰৰ বল-বীৰ্য্যেৰে বীৰ্য্যবান হৈ, মোৰ পিতামহ যাদৱ কেশৰী শ্ৰীকৃষ্ণৰ ভুৱনবিজয়ী কীৰ্ত্তিৰ স্মৃতি-উৎসাহেৰে প্ৰাণোদিত হৈ, মুহূৰ্ত্তৰ মধ্যত এই দানৱবাহিনীক মথিমুৰ কৰোঁ, চাই থাকা।" এই বুলি একেজঁাপে উষা-কক্ষৰপৰা নামি, বিবিধ ৰণবিদ্যাবিশাৰদ মহাতেজী মহাবাহু বৃষ্ণি-কুমাৰ অনিৰুদ্ধ বীৰে অন্তঃপুৰদ্বাৰগত অতুল পৰিঘ গ্ৰহণ কৰি উৰাৰত হৈ শত্ৰুসেনাৰ মাজত প্ৰৱেশ কৰিলেগৈ। বাণ-বাহিনী সৈন্যগণেও গদা, অসি, মুষল, শক্তিশূল, তীক্ষ্ণবাণ আদি ৰণাস্ত্ৰেৰে কুমাৰৰ অঙ্গ ক্ষত-বিক্ষত কৰি তুমুল সংগ্ৰাম চলাবলৈ ধৰিলে। ভালেমান পৰলৈকে সংগ্ৰাম চলিব লাগিছে, কিন্তু অমিততেজা যাদৱ কুমাৰ অলপো কাতৰ হোৱা নাই, বৰঞ্চ চতুৰ্গুণ বল-বিক্ৰমেৰে উত্তেজিত হৈ আক্ৰমণ কৰি শত্ৰুসৈন্যক হতবুদ্ধি আৰু অস্থিৰ কৰি তুলিছে। দেখি-শুনি আৰু যুঁজি-ভাগৰি অতিকৈ বিস্ময় মানি মহাসুৰ বাণ-ৰজাৰ মহতী বাহিনীয়ে ৰণভঙ্গ দি ৰাজধানীৰ অভিমুখে আতুৰভাৱেৰে লাবলৈ ধৰিলে।[১]

মহতী বাহিনীয়ে ৰণভঙ্গ দিয়া দেখি সহস্ৰভুজ দানৱোত্তম মহাসুৰ বাণ-ৰজাৰ মন অলপো বিচলিত নহল; তেওঁ নিশ্চিন্তভাৱে পুনৰপি নানাপ্ৰহৰণধাৰী সুমহৎ 'ৰৌদ্ৰ'[২] সৈন্যদলক অনিৰুদ্ধ নিগ্ৰহাৰ্থে প্ৰেৰণ কৰিলে। এই নতুন বাহিনীয়ে উষা-অন্তঃপুৰত গৈ পুনৰপি প্ৰাণপণে তুমুল সংগ্ৰাম পাতিলেগৈ। অমিত্ৰঘাতী বলিনন্দন বাণ-ৰজাৰ উত্তেজনাত উত্তেজিত হৈ, ৰৌদ্ৰ-বাহিনীয়ে বিষম আক্ৰোশেৰে আক্ৰমণ কৰিলেগৈ, কিন্তু অদ্ভুত বীৰ অনিৰুদ্ধ কুমাৰৰ ৰণ-কৌশলৰ আগত সৰহপৰ ঠাৱৰিব নোৱাৰি সেই বাহিনীয়েও ৰণত পিঠি দেখুৱাই পলাই ফাঁট্ মাৰিলে। সেই প্ৰচণ্ড বলশালী ৰৌদ্ৰ-সৈন্যদল পৰাস্ত হোৱাটো বাস্তৱতে এটা অদ্ভুত ঘটনা হোৱাদি হল। সেই বাহিনীৰ অনেকৰ মনত এনে ধাৰণা হল যে, উষা-অন্তঃপুৰস্থ সেই অদ্ভুত কুমাৰক পিচৰপৰা কোনোবা মায়াৱী ক্ষমতাই অলৌকিকভাৱে সহায় কৰিছিল।[৩] সেই ধাৰণাই ৰাজকীয় সৈন্যদলক হতাশ কৰি ৰণভঙ্গ দিয়ালে। সেই কথাত সহস্ৰবাহু[৪] অমিত্ৰনাশী মহাসুৰ বাণ-ৰজাই বাৰিষাৰ মেঘবৎ গৰ্জ্জি উঠি স্বয়ং অনিৰুদ্ধ কুমাৰক বধিবলৈ আগ বাঢ়িলে। মন্ত্ৰী কুম্ভাণ্ডক লগত লৈ, ৰোষান্ধ বাণ নৰপতিয়ে উগ্ৰাৱল ভাৱে উষা-অন্তঃপুৰত প্ৰৱেশ কৰিলেগৈ। পিতৃৰাজক উগ্ৰভাৱে ৰণোন্মত্ত হৈ অহা দেখি, প্ৰাণকান্ত অনিৰুদ্ধদেৱৰ প্ৰাণনাশৰ আশঙ্কাত অতিকৈ আতুৰা হৈ উষাদেৱীয়ে বিনাবলৈ ধৰিলে। কুমাৰে লৰালৰিকৈ দুটা-চাইটা প্ৰবোধ বাক্যৰে কুমাৰীক অভয় দান দি থৈ, সন্মুখ-সংগ্ৰামলৈ সিংহসদৃশে আগ বাঢ়িলে। বনৰ মাজত সিংহই যেনেকৈ মত্ত মাতঙ্গক ঠমক্ খুৱাই ৰাখে, যদুসিংহ অনিৰুদ্ধ কুমাৰেও তেনেকৈ দানৱ মাতঙ্গ মহাসুৰ বাণৰাজক ঠমক্ খুৱাই

---

(১) আৰু (২) হৰিবংশ, ১৭৫ অধ্যা।

(৩) আগেয়ে যথাস্থানত সঙ্কেত দি অহামতে, চিত্ৰ-লেখা আৰু প্ৰজ্ঞাসুন্দৰীৰ গুপ্তদিহাকণ অনুসৰি উষা-অন্তঃপুৰ ৰখীয়া সৈন্যদলে গুপ্তভাৱে কুমাৰৰ হৈ ৰৌদ্ৰ বাহিনীৰ বিৰুদ্ধে ৰণ দিছিল।

(৪) বাণ-ৰজা সহস্ৰ অস্ত্ৰবিশাৰদ পণ্ডিত যোদ্ধা আছিল। তেওঁ সহস্ৰবিধ অস্ত্ৰেৰে ৰণত প্ৰবৃত্ত হৈছিল। সেই আপাহতে তেওঁক সহস্ৰবাহু বোলা যায়।

ৰাখিলেগৈ।[১] কিন্তু, বেগৱতী নৈয়ে পৰ্ব্বত-ভেটা পাই পাৰ ভাঙ্গি ঢৌৱাই যোৱাৰ দৰে, মহা বেগীমনৰ বাণ-ৰজাই আত্ম-বল-বিক্রম দুয়োপাশে বিস্তাৰি নিৰস্ত্র কুমাৰক অদ্ভুত ৰণ-জালেৰে[২] মেৰাই ধৰিলে। তাৰ পাচত, আকৌ এখন তমোময়া ৰণ লাগি উঠিল। বহু-পৰলৈকে হাৰ-জিত নাই, কেৱে কাকো হটাব পৰা নাই। শেহান্তৰত, সহস্র অস্ত্র-বিশাৰদ ৰণ-পণ্ডিত বাণ-ৰজাই তেওঁৰ বছা-বছা বাণ-অস্ত্রাদি সহস্র কৌশলেৰে নিক্ষেপ কৰি অপৰাজিত কৃষ্ণনাতি প্রদ্যুম্ননন্দনক নাগপাশেৰে[৩] বান্ধি পেলালে। কিন্তু, সিমানতে অনিৰুদ্ধ কুমাৰ অকণো বিচলিত নহল, তেওঁ ঘনে ঘনে বাণ ৰজাক স্বহস্তে আক্রমণ কৰাৰ উদ্দেশ্যে আস্ফালন কৰিবলৈ ধৰিলে! কুমাৰৰ আস্ফালন সহিব নোৱাৰি, সমিদ্ধহুতাশনপ্রায় প্রজ্বলিত হৈ মহা অভিমানী মহাভৈৰৱ-ভক্ত বাণাসুৰে হাতত ত্রিশূল ধাৰণ কৰি, যদুকুলকমল পুৰুষোত্তম কন্দৰ্পতনয় ৰুক্মিণীনাতি প্রদ্যুম্ননন্দনক বধ কৰিবলৈ ভীষণ মূৰ্ত্তি ধৰি চোচা ললে। এনেতে, মহাজ্ঞানী ধৰ্ম্মপ্রাণ কুম্ভাণ্ড মন্ত্রীয়ে এই বুলি বুজনি দি ৰজাক ক্ষন্তেকলৈ শান্ত কৰিলে, "হে মহাৰাজ! ক্ষন্তেক ধৈৰ্য্য ধৰি মোৰ উক্তিলৈ কৰ্ণপাত কৰোক। ইন্দ্রসম পৰাক্রম-সম্পন্ন এই মহাবীৰ কাৰ পুত্র? তেওঁ কোন্ ৰাজ্যৰপৰা আহিছে? তেওঁক কোনে ইয়ালৈ আনিছে? এইবোৰ কথাৰ আগধৰি সন্দেহ্ লোৱা বাঞ্ছনীয়। হে ৰাজন! এই সুকোমল বীৰ এজন সৰ্ব্বশাস্ত্রবিশাৰদ বিচক্ষণীয়া ৰণ-পণ্ডিত। নৰোত্তম পুৰুষৰ কুল, শীল, বয়স, বীৰ্য্য আদি যি যি থাকিব লাগে, এওঁৰ গাত সকলো বিদ্যমান দেখা গৈছে! হে দৈত্যসত্তম! এনেজন বলৱন্ত সত্ত্বসম্পন্ন সুপুৰুষ কাচিতো বধৰ যোগ্য নহয়। তদুপৰি, আপোনাৰ কন্যাই যি স্থলত গান্ধৰ্ব্ব বিবাহ প্রথাৰে এওঁক পতিগ্রহণ কৰিছে, সেই স্থলত আপুনি এওঁৰপৰা সেই কন্যাক বিধি-মতে নিগ্রহ কৰিব নোৱাৰে; আৰু সেই কন্যা অপৰক সম্প্রদান কৰিবলৈকো শাস্ত্রৰ বিধান নাই। এতেকে, এওঁক বধ কৰাৰ বিষয়ে দকৈ গমি চোৱা উচিত। আগেয়ে যথাযথ তথ্য উপলব্ধি কৰোক; তাৰ পাচত বধ্য হলে বধিব, অথবা পূজ্য হলে পূজিব। হে বীৰবাহো! শৌৰ্য্য, বীৰ্য্য, সৌন্দৰ্য্য, কুল আৰু সত্ত্ব সমন্বিত এই পুৰুষোত্তমক এবাৰ সূক্ষ্মভাৱে নিৰীক্ষণ কৰোক।" ধৰ্ম্মাত্মা কুম্ভাণ্ড মন্ত্রীৰ জ্ঞানগৰ্ভ শান্তিবাণী শুনি উন্মত্ত বাণ-ৰজা তৰধ লাগিল! তেওঁ অগত্যা অনিৰুদ্ধ কুমাৰক উষা-অন্তঃপুৰতে বন্দী কৰি থৈ নিজ নগৰলৈ প্রত্যাগমন কৰিলে।

তৃতীয় আধ্যা

শ্রীকৃষ্ণৰ কন্যাপুৰ-যাত্রা

কুমাৰ-হৰণৰ দিনধৰি দ্বাৰাৱতী জঁয় পৰিল। কাৰো প্রাণত শান্তি নাই, কাৰো মনত উলাহ নাই, কাৰো মুখত আনন্দৰ চিন্ নাই; সদৌ দ্বাৰকাবাসী বিষাদত ম্লান পৰিল। জলত, থলত, পৰ্ব্বতত, কন্দৰত কুমাৰ অনিৰুদ্ধৰ অন্বেষণত যাদৱ বীৰসকলে পিয়ঁাপি দি ফুৰিছে, কিন্তু কোনেও ক'তো একো সন্ধান পোৱা নাই। গোটেই দ্বাৰকাত চলাথ কৰি বিচাৰি ক'তো নিৰুদ্দেশ কুমাৰৰ উদ্দেশ নাপাই, নানা দিগ্বি-দিগলৈ চৰীয়া, চোৰাংচোৱা আদি পঠিওৱা হৈছে, কিন্তু কোনো দিশৰপৰা কুমাৰৰ সন্ধান অহা নাই। কৃষ্ণাগ্রজ মহাবীৰ বলৰাম আৰু কৃষ্ণনন্দন মহাৰথ প্রদ্যুম্ন মহা চিন্তাত পৰিল যে, সিবিলাকে এনেহেন অৱস্থাত শ্রীকৃষ্ণৰ পুনৰা-গমনত তেওঁৰ আগত মুখ দেখুৱাব কেনেকৈ! সিবিলাক দুজনতে দ্বাৰকাৰ ৰক্ষণভাৰ অৰ্পণ কৰি থৈ যদুনাথ বাসুদেৱ আগন্তুক কুৰুক্ষেত্র মহাৰণ ৰচনাত অতি ব্যস্ত হৈ আঁতৰি আছেগৈ। সেই ভাৰতীয় মহাচিন্তাৰ ওপৰত এতিয়া এই যাদৱীয় কাৰ্য্যচিন্তাৰ বিষয় তেওঁক কোন্ সতে জ্ঞাপন কৰা

(১) হৰিবংশ, ১৭৫ আধ্যা।

(২) তামসীবিদ্যা বা ভেলেকীবাণ। ময়াপী দানৱ এই বিদ্যাত পাকৈত আছিল বুলি অনেকে কল্পনা কৰে।

(৩) নাগ বা সৰ্পসদৃশ বাণ। এই লেজুৱা বাণে লক্ষিত শত্রুক সৰ্পৰ দৰে মেৰাই ধৰি বান্ধি পেলায়।

যায়! বিশেষ, কুমাৰ অনিৰুদ্ধ যে শ্ৰীকৃষ্ণৰ অতি আদৰৰ নাতি,—যাক চাই চাই তেওঁৰ তৃপ্তি নপলায়, যাক চকুৰ আঁৰ কৰিবলৈকো তেওঁ অতি অসহন বোধ কৰে। এনেহেন প্ৰাণপ্ৰতিম চেনেহৰ নাতি প্ৰদ্যুম্ননন্দন অনিৰুদ্ধৰ নিৰুদ্দেশ বাৰ্ত্তা পাণ্ডৱ শিবিৰলৈ কোন্ সাহেৰে পঠিওৱা যায় এতিয়া! বলৰাম আৰু প্ৰদ্যুম্ন কোৱঁৰে এই দৰে যাদৱপ্ৰধান সকলৰে সৈতে অনাগুণা কৰি আছে, এনেতে এটি বাহিকা পক্ষীয়ে[১] ওপৰৰপৰা সিবিলাকৰ মাজত এখনি পত্ৰ ক্ষেপণ কৰি তুকুংকৰে নেদেখা হল!

পত্ৰত শ্ৰীমধুসূদন ৰুক্মিণীনাথ দ্বাৰকেশ্বৰক সম্বোধন কৰা হৈছিল; পত্ৰ প্ৰেৰিত কামৰূপৰ কন্যাপুৰৰপৰা। পত্ৰত প্ৰেৰকৰ বা প্ৰেৰিকাৰ নাম নাই, কিন্তু বিশেষণেৰে সবিশেষ বুজাই কোৱা আছিল। সেই সবিশেষৰ বিশেষ নিৰ্দ্দেশ পাবলৈ বাসুদেৱৰ শয়ন-মন্দিৰৰ পকী দেৱালত চিত্ৰিত এটি চিত্ৰাদৰ্শলৈ সঙ্কেত দিয়া হৈছিল। পত্ৰত দিয়া সেই সঙ্কেত অনুসৰি প্ৰদ্যুম্নকোৱঁৰে তেওঁৰ মাতৃ ৰুক্মিণীদেৱীৰে সৈতে পিতৃদেৱ শ্ৰীকৃষ্ণৰ শয়নমন্দিৰত প্ৰৱেশ কৰি সেই চিত্ৰাঙ্কন পৰীক্ষা কৰি চালেগৈ। সেই চিত্ৰাঙ্কনেই অনিৰুদ্ধকুমাৰ নিৰুদ্দেশ হোৱাৰ আদ্যোপান্তৰ বিশদ ব্যাখ্যা দিব লাগিছে; কিন্তু কৃষ্ণবিনে সেই ব্যাখ্যানুযায়ী কাৰ্য্যানুসৰণ কৰিবলৈ দ্বাৰকাত তেতিয়া দ্বিতীয় জন নাই। বিশেষতঃ, কামৰূপ সম্বন্ধীয় অভিজ্ঞতা শ্ৰীকৃষ্ণৰ সমানে আন কাৰো নাই। তদুপৰি, পত্ৰত বিশদকৈ সঙ্কেত দিয়া আছে যে, সেই সমস্যাত যাদৱ-কেশৰী স্বয়ং কেশৱৰ উপস্থিতি বক্লাপুৰত একান্ত বাঞ্ছনীয়। পত্ৰৰ মৰ্ম্মমতে যাদৱসকলৰ মাজত গভীৰ আলোচনা চলিল, আৰু তাৰ সিদ্ধান্ত এই হলগৈ যে, আগন্তুক মহাৰণৰ আয়োজন আলোচনাৰ্থে সেই সময়ত পাণ্ডৱ-বান্ধৱ শ্ৰীকৃষ্ণৰ উপস্থিতি কুৰুক্ষেত্ৰত যদিচ নিতান্ত অপৰিহাৰ্য্য, তথাপি ঘৰুৱা অভাবনীয় আপদ ভঞ্জনৰ সমস্যাত তেওঁৰ পক্ষে দ্বাৰকা-প্ৰত্যাগমন ততোধিক অপৰিহাৰ্য্য। গতিকে, অগ্ৰজ বলৰামৰ আদেশ অনুসৰি, অনুজ বাসুদেৱৰ সমীপলৈ দূত প্ৰেৰিত হোৱাটোৱেই স্থিৰ হল।

শ্ৰীকৃষ্ণৰ বিৰতি নাই। য'তে কৃষ্ণ, ত'তে ধৰ্ম্ম; য'তে ধৰ্ম্ম, ত'তে জয়। কৃষ্ণ সৰ্ব্বব্যাপী। কৰ্ম্মত যি কৃষ্ণ, চিন্তাতো সেই কৃষ্ণ। অচ্যুত কৃষ্ণ অক্লিষ্টকৰ্ম্মা। কৃষ্ণ চিন্তাপৰায়ণ। কৃষ্ণ অদ্ভুতকৰ্ম্মা। অপায় অপনয়নতো কৃষ্ণ, সম্পদ সম্ভোগতো কৃষ্ণ। ভিতৰত কৃষ্ণবিনে স্থিতি নাই, বাহিৰত কৃষ্ণবিনে গতি নাই। এনেহেন অবিশ্ৰান্ত শ্ৰীকৃষ্ণ কুৰুক্ষেত্ৰত অপৰিহাৰ্য্যৰূপে চিন্তাপৰায়ণ আৰু কাৰ্য্যতৎপৰ হৈ ৰণ-ৰচনাত নিমগ্ন থাকোতে, ইফালে দ্বাৰকাতো তেওঁক অপৰিহাৰ্য্যকৈ লগা হল. সেই অৰ্থে, দ্বাৰকাৰ ৰামদূত গৈ কুৰুক্ষেত্ৰত উপস্থিত! দূতী কেৱল বাৰ্ত্তাবহী নহয়, অগ্ৰজৰ আদেশবাহিনীও। যি ৰামৰ আদেশ সততে কৃষ্ণৰ শিৰোধাৰ্য্য, সেই পূজনীয় প্ৰাণপ্ৰতিম অগ্ৰজ হলধৰৰ আদেশ-বাণী দূতীয়ে যথাসৎকাৰেৰে শ্ৰীকৃষ্ণত জ্ঞাপন কৰিবগৈ। সেই দূতী হল কৃষ্ণসোহাগিনী কৃষ্ণসহধৰ্ম্মিণী স্বয়ং ৰুক্মিণী দেৱী! যি ক্ষণত মুহূৰ্ত্তলৈকো কৃষ্ণৰ অনুপস্থিতি পাণ্ডৱৰ পক্ষে অপৰিহাৰ্য্য আৰু নিতান্ত অসহনীয়, সেই ক্ষণত অনিশ্চিত সময়লৈ কৃষ্ণৰ উপস্থিতি দ্বাৰকাৰ যাদৱৰ পক্ষেও অপৰিহাৰ্য্য আৰু একান্ত বাঞ্ছনীয়। এইহেন অপাৰ সমস্যাৰ পাৰ এতিয়া কি উপায়েৰে পোৱা যায়! এহাতে, কুৰুক্ষেত্ৰত কৌৰৱ-পাণ্ডৱৰ মাজত আগন্তুক মহাৰণ লাগোঁ-লাগোঁ, আৱম্ভণ-ঘোষণা মাথোন বাকী, আৰু শ্ৰীকৃষ্ণৰ অবিহনে কৃষ্ণ-বিৰচিত পাণ্ডৱ দুৰ্গ ঠৰেঠৰে তল যায়! আনহাতে, চকুৰ্মণি অনিৰুদ্ধ কুমাৰক হেৰুৱাই দ্বাৰকাত যাদৱবৰ্গ আন্ধাৰত আতুৰ; সেই অৱস্থাত, কৃষ্ণবিনে যাদৱৰ উপায় নাই! বাস্তৱতে ই বিষম সমস্যা! কিন্তু, অদ্ভুত-কৰ্ম্মা শ্ৰীকৃষ্ণৰ প্ৰত্যুৎপন্নমতিত্বৰ প্ৰভাৱত সেই সমস্যা ততালিকে শামকাটি পৰিল; সুদূৰদৰ্শী পাণ্ডৱ-সাৰথি বাসুদেৱৰ ৰাজনৈতিক কৌশলৰ ফেৰত ৰণ-আৱম্ভণ ঘোষণাৰ বাব ইতিপূৰ্ব্বেই, নিৰ্দ্ধাৰিত ৰণ-নীতি অনুসৰি,

(১) সেই কালত কোনো কোনো বিধৰ বাহিকা পক্ষীৰ যোগে দূৰ-বিদেশলৈ চিঠি-পত্ৰ চলোৱাৰ প্ৰথা প্ৰচলিত আছিল; সেই পক্ষীৰ ভিতৰত পাৰ-পক্ষী প্ৰধান। কোনো কোনো দেশত অদ্যাপিও সেই ৰীতিৰ প্ৰচলন আছে।

পাণ্ডৱৰ এক্তিয়াৰত ন্যস্ত ৰৈছিল ; সেই ছেগতে বাগি দি, আচল ৰণ-নেতা শ্ৰীকৃষ্ণই ৰণ-ঘোষণা অনিৰ্দ্ধাৰিতকৈ স্থগিত ৰখাই, পাকতে ঘূৰি আহিবলৈ বুলি, ৰুক্মিণী সাৰথিৰে সৈতে গৰুড়-ৰথত চৰি দ্বাৰকালৈ অনতিপলমে প্ৰত্যাগমন কৰিলে।

দ্বাৰকাত হাহাকাৰ। দ্বাৰাৱতীত প্ৰিয়নাথ কন্দৰ্পকুমাৰ অনিৰুদ্ধ-মণি হেৰুৱাই বিৰহিনী যাদৱীবৃন্দে বিননিত গছৰ পাত থিলি-থিলিকৈ কঁপাইছে। অনিৰুদ্ধজননী প্ৰদ্যুম্নপত্নী প্ৰমুখ্যে দ্বাৰাৱতীৰ পুৰনাৰীবৃন্দৰ শোক-তাপৰ বাষ্পেৰে ভৰা চল্‌চলীয়া চকুমণি ৰাশিক ওপৰে-ওপৰে বিৰিঙ্গি উঠা শোকাশ্ৰুৰে সুনীল সৰোবৰৰ সলিলত আপ্লুত হোৱা পদুম-কলিৰ থুপি যেন কৰিছে! বাহিৰত যাদৱবৰ্গৰ হা-হুমুনিয়াহ মলয়াত কঁপি-কঁপি উঠিছে। কাৰো মুখত পানী নাই! সকলোটি সমভাৱে সন্তপ্ত। বিচাৰি বিচাৰি যদুমণি প্ৰদ্যুম্ননন্দনক যতেকে নোপোৱাৰ নিদৰ্শন পোৱা গৈছে, দ্বাৰকাবাসীৰ,—বিশেষকৈ যাদৱবৃন্দৰ— শোক-সন্তাপ ততেকে চৰিছে। পত্ৰবাহিকা পখীৰ জৰিয়তে কুমাৰ-হৰণৰ যি সন্ধান পোৱা গৈছে, তাকো বিশেষকৈ উপলব্ধি কৰা কৃষ্ণবিনে অন্য শক্তিৰ সাধ্যাতীত হেতুকে সকলোটি চিন্তাত বিমোৰ! দ্বাৰাৱতীৰ এনেকুৱা নিস্তেজ আৰু নিস্পন্দ অৱস্থাত যাদৱ-জীৱন দৈৱকীনন্দন বাসুদেৱে বাহিৰৰপৰা ভিতৰৰ গম্-গতি লৈ ধীৰে-শাঁতে অন্তঃপুৰলৈ প্ৰশান্তভাৱে প্ৰৱেশ কৰিলে। শ্ৰীকৃষ্ণৰ প্ৰত্যাগমনৰ বাৰ্ত্তা ঘোষণা কৰা মাত্ৰে কৃষ্ণসভাত সন্নাহভেৰী বাজি উঠিল। যাদৱগণ ততালিকে মন্ত্ৰণা-মন্দিৰত সমবেত হ'লগৈ। বিজয়বন্তি শ্ৰীকৃষ্ণদৰ্শন হোৱা মাত্ৰকে সকলোৰে প্ৰাণত আশাৰ সঞ্চাৰ হ'ল, সকলোৱেই পুনৰপি সংজ্ঞা লাভ কৰিলে! অনিৰুদ্ধ উদ্ধাৰৰ উপায় উদ্ভাৱন বিষয়ক আলোচনাত বৃদ্ধ-ৰাজ আহুক প্ৰমুখ্যে যাদৱপ্ৰধানসকল আগ্ৰহেৰে সমবেত হ'লহি। সিবিলাকে উদ্বিগ্ন চিতেৰে চিন্তাজীৱী অদ্ভুতকৰ্ম্মা বাসুদেৱৰ প্ৰতি স্থিৰদৃষ্টিৰে চাই চাই, যাৰ যি বক্তব্য তাক এজন-এজনকৈ ব্যক্ত কৰিবলৈ ধৰিলে। সভাস্থ যাদৱ-মণ্ডলীৰ মুখে কুমাৰ হৰণ-কাহিনী আৰু কুমাৰৰ উদ্ধাৰৰ উপায় উদ্ভাৱন বিষয়ক মন্ত্ৰণাদি ৰুক্মিণীনাথে একাণপতীয়া মনোযোগেৰে শুনিবলৈ ধৰিলে,— শুনি শুনি শুনি সেই-পোনেই তেওঁ নিটাল মাৰিলে। শ্ৰীকৃষ্ণ নিস্তব্ধ হোৱা দেখি বিজ্ঞ মন্ত্ৰী বিপৃথুৱে এই বুলি মাত লগালে, "হে মাধৱ! আপুনি চিন্তাৰ পাৰ দিওঁতা হৈ এইদৰে চিন্তাযুত হৈছে কিয়? আমাক উপদেশ দিয়কছাৰি আপুনি আমাৰ উপদেশ সাপেক্ষে নিটাল মাৰিছেচোন?" এই কথা শুনি বৃহস্পতিহেন বাক্যবিচক্ষণ বাসুদেৱে দীঘলকৈ এটি হুমুনিয়াহ পেলাই এই বুলি সমিচাৰ দিলে, "হে বিপৃথো! মই চিন্তাবিষ্ট হৈ আপোনাসকলৰ আলোচ্য বিষয়ক কাৰ্য্যকে চিন্তা কৰিছোঁ। তাৰ লগে লগে সমবেত সমজুৱাৰ মন্তব্যাদি ৰিজাই-মিলাই গৈ আছোঁ। আৰু কাৰ কি বক্তব্য আছে শুনি লওঁ; সদৌশেহত মই মোৰ মন্তব্য দিমগৈ।" তাৰ পাচত, নানা জনে নানা মতে কুমাৰ-হৰণৰ সম্ভৱপৰ হেতু দৰ্শাই অনুতাপ প্ৰকাশ কৰিবলৈ ধৰিলে। সেইসকলৰ ভিতৰত মহাৰথ সাত্যকি, সেনাপতি অনাধৃষ্টি, বাক্যাৰ্থবিশাৰদ অক্ৰূৰ, মহাবীৰ হলধৰ, ৰণপণ্ডিত ৰুক্মিণী-নন্দন প্ৰদ্যুম্ন কোঁৱৰ, এইসকলেই প্ৰধান।

এজন-এজনকৈ সকলোৰে মন্তব্য শুনি সাৰোগত কৰি লৈ, সামৰণিত চিন্তাপৰায়ণ অক্লিষ্টকৰ্ম্মা অচ্যুত শ্ৰীকৃষ্ণই এই বুলি স্বীয় মন্তব্য প্ৰকাশ কৰিলে, "হে জ্ঞাতিবন্ধুবৰ্গ! আপোনাসকলৰ যুক্তিযুত সাৰুৱা মন্তব্যাদি মই নিবিষ্ট-মনেৰে শুনিলোঁ। আমাৰ বৃদ্ধৰাজ আহুকক শাল্ব দৈত্যই হৰণ কৰা, শিশুকালত ৰুক্মিণীনন্দন প্ৰদ্যুম্ন কোঁৱৰক শম্বৰাসুৰে হৰণ কৰা ইত্যাদি বিগত ঘটনাৱলীৰ বিষয় আমি অদ্যাপি পাহৰা নাই। মোৰ কৃত দেৱদ্ৰোহী কৰ্ম্মৰ আপাহত যাদৱৰ প্ৰতি দৈৱবিতুষ্ট হোৱা ৰিষ্টাদিৰ কথাও আমাৰ মনত আছে। কিন্তু, হে সুধীসকল! মোৰ প্ৰাণ-প্ৰতিম নাতি-কোঁৱৰ অনিৰুদ্ধ-হৰণ বিষয়ক আপোনাসকলৰ মন্তব্যৰে সৈতে মোৰ মন্তব্য অমিল হৈছে। মোৰ মতে দেৱতাগণ ক্ষুদ্ৰকৰ্ম্মা, অকৃতজ্ঞ, অৱলিপ্ত, ক্লীব, কিম্বা মূঢ় নহয়; দেৱতাই অপকাৰীক উপকাৰৰ দ্বাৰাই হে প্ৰতিশোধ দিয়ে। গতিকে, মোৰ কৃত কোনো অপ্ৰিয় কৰ্ম্মৰ প্ৰতিশোধ হেতু কুমাৰ-হৰণ কাৰ্য্য সম্পাদিত হোৱা নাই। মোৰ বোধেৰে, ঈশ্বৰৰ অভিপ্ৰেত কোনো শুভ আৰু মহৎ

কাৰ্য্যৰ উদ্দেশে হে কোনোবা যশস্বিনী নাৰীৰ[১] দ্বাৰাই এই কাৰ্য্য সম্পাদিত হৈছে। সেই নাৰী দেৱীয়েই হওক, বা দানৱীয়েই হওক, কিম্বা মানৱীয়েই হওক,—যেয়ে হওক, তেওঁৰ উদ্দেশ্য যে অতি মহান্ তাত মোৰ ধনিষ্ঠামানো সন্দেহ হোৱা নাই। বিশেষতঃ, পথীবাহিত পত্ৰৰ মৰ্ম্ম আৰু বিশেষণে যি সবিশেষকৈ বুজাইছে, আৰু মোৰ শয়নকক্ষৰ দেৱালত অঙ্কিত জীৱন্ত চিত্ৰই[২] যি আভাস দিছে, তাৰপৰা মোৰ বিশ্বাস হৈছে যে, সেই কুমাৰহাৰিণী এগৰাকী কামৰূপিনী যশস্বিনী; তেওঁৰ বসতিস্থান মধ্যকামৰূপ বাণ-ৰাজ্যৰ কন্যাপুৰ। হব পাৰে তেওঁৰ মহৎ উদ্দেশ্য কুমাৰ অনিৰুদ্ধৰ দ্বাৰাই সেই অসুৰ ৰাজ্যৰ অধীশ্বৰ মহাসুৰ বাণ-নৰপতিৰ ৰূপে-গুণে অনুপমা কন্যাৰ[৩] পাণিগ্ৰহণ কৰাবলৈ। সেই মায়াপুৰ মোৰ অবিদিত নহয়। নৰক-সংহাৰ[৪] আৰু ৰুক্মিণী-হৰণ[৫] ঘটনাৱলীৰ সংসৰ্গত সেই মহাপুৰৰ মহা পৰাক্ৰমী দৈত্যৰাজসকলৰ বল-বীৰ্য্যৰ পৰিমাণ মই পাই থৈছোঁ। ঘটনাচক্ৰত পৰি, এতিয়া আমি সেই ৰাজ্যৰ বৰ্ত্তমান অধিপতি বলিনন্দন মহাসুৰ বাণ-নৰপতিৰ সম্মুখীন হৈ সম্ভৱতঃ এখন মহাৰণ পাতিবহে লাগিব। ই ইচ্ছাময়ৰ ইচ্ছা। ইয়াৰ অন্যথা অসম্ভৱ। এতেকে, এতিয়া কুমাৰৰ উদ্ধাৰাৰ্থে সেই মায়াময় কন্যাপুৰলৈ যথাযোগ্য আয়োজনেৰে আমি যুদ্ধযাত্ৰা কৰিব লাগিব। ৰবৰ সময় নাই।" তাৰ পাচত, বাসুদেৱৰ বাছনি অনুযায়ী তেওঁৰ অগ্ৰজ হলধৰ, বৰপুত্ৰ প্ৰদ্যুম্ন কোৱঁৰ, সেনাপতি সাত্যকি প্ৰমুখ্যে লাগতিয়াল সংখ্যক বছা বছা যাদৱ যোদ্ধাই ৰণ যাত্ৰা কৰাটো স্থিৰ হল।

পিচদিনা প্ৰত্যুষে নাৰায়ণী সেনাদলে ৰণৰৱে তুৰ্য্য আৰু শঙ্খধ্বনিৰে সৈতে কেশৱক জাগৰিত কৰাৰ পাচত, কৃষ্ণ-মণ্ডপত যাদৱ যাত্ৰীবৰ্গ সুসজ্জিত হৈ সমবেত হলহি। যাত্ৰাৰ্থে শুভক্ষণ সাপেক্ষে সকলো সক্ষম। ইত্যৱসৰত হৰিগুণগান গাই বীণাধাৰী নাৰদ মুনি হাঁহি হাঁহি মণ্ডপত উপস্থিত হলহি। মুনিৰ মুখত হাঁহি, কিন্তু আন সকলোটি বিষাদত জঁয়-পৰা। পৰমানন্দ মাধৱ নিজে বিমনা আৰু যাত্ৰাৰ্থে ব্যস্ত যদিও, তেওঁ স্বয়ং আথে বেথে আগবাঢ়ি গৈ আদৰি আনি, বগা ঠঙ্গাৰ আসন পৰাই দিয়াই নাৰদ মুনিক মধুপৰ্ক আৰু গো-নিবেদন কৰিলে। তাৰ পাচত, বৃদ্ধৰাজ উগ্ৰসেন আৰু বাহুক প্ৰমুখ্যে যাদৱবৰ্গৰ উপস্থিত বিষাদৰ কাৰণ সুধি লৈ, মুনিয়ে এই বুলি শ্ৰীকৃষ্ণত নিজ আগমনৰ উদ্দেশ্য ব্যক্ত কৰিলে, "হে মধুসূদন! অৱধান কৰোক। কুমাৰ অনিৰুদ্ধৰ উদ্ধাৰৰ যুক্তি লৈয়েই মই অনতিপলমে আপোনাৰ সমীপলৈ আহিছোঁ। মহাসুৰ বলিনন্দন দৈত্য-ৰাজ বাণ-নৰপতি আৰু মহাবাহু প্ৰদ্যুম্ননন্দন অনিৰুদ্ধ কুমাৰৰ মাজত দেৱাসুৰসমৰসদৃশ্ যি সুদাৰুণ মহাযুদ্ধ হৈ গৈছে, তাক মই স্বচকুৰে দেখি আহিছোঁ। মধ্যকামৰূপৰ অধিপতি বাণাসুৰে ৰণত পৰাঙ্মুখ আৰু উপায়ান্তৰ হৈ, শেহান্তৰত মায়াযুদ্ধ কৰি কুমাৰক নাগপাশেৰে বান্ধি থৈছে। কুমাৰ এতিয়া কন্যাপুৰত বাণৰজাৰ ৰণুৱাৰ হাতত বন্দী। কুমাৰক বধ কৰিবলৈ বাণ ৰজা উদ্যত হৈছিল, পিচে তেওঁৰ পৰম ধাৰ্ম্মিক মন্ত্ৰী কুম্ভাণ্ডৰ উপদেশ মানি সেই অপকৰ্ম্মৰ-পৰা তেওঁ সম্প্ৰতিকলৈ ক্ষান্ত হৈছে। কুমাৰ অদ্যাপি জীৱিত। কিন্তু, তেওঁক অনতিপলমে বন্ধনমুক্ত কৰা বাঞ্ছনীয়। সেই সুকঠিন কাৰ্য্য আপোনাৰ বিহনে সিদ্ধ হোৱাৰ সম্ভাৱনা নাই। এতেকে, হে গৰুড়ধ্বজ! আপুনি স্বীয় গৰুড়বাহিনী[৬] লৈ এই দণ্ডতে ৰণযাত্ৰা কৰোক। নতু, পলমে বিঘ্ন ঘটিবৰ আশঙ্কা। হে কেশৱ! বহু যাত্ৰীৰ

---

(১) সুপ্ৰখ্যাতা চিত্ৰসিদ্ধহস্তা উষা-সখী চিত্ৰলেখা।

(২) এই বিষয়ে যথা-ঠাইত উমুকিয়াই অহা হৈছে।

(৩) বাণনন্দিনী উষাদেৱী।

(৪) প্ৰাগ্‌জ্যোতিষ্‌পুৰৰ অধিপতি নৰকাসুৰক বধ কৰাৰ উদ্দেশে শ্ৰীকৃষ্ণৰ কামৰূপ আগমন বিষয়ে আদ্য-লীলা খণ্ডৰ যথাস্থানত কৈ অহা হৈছে।

(৫) কামৰূপৰ অতি-পূৰ্ব্বাঞ্চল বিদভ বা কুণ্ডিল (এতিয়া শদিয়া) ৰাজ্যৰ অধীশ্বৰ ভীষ্মক ৰজাৰ জীয়াৰী ৰুক্মিণীদেৱীক শ্ৰীকৃষ্ণদেৱে হৰণ কৰাৰ বিষয়ে আদ্যলীলা খণ্ডৰ যথাস্থানত বিস্তাৰিতকৈ কোৱা হৈছে। সেই সংসৰ্গতে শ্ৰীকৃষ্ণ আৰু ৰুক্মবীৰৰ মাজত এখন ভীষণ ৰণ লাগিছিল।

(৬) সুদূৰ-দূৰৈলৈ যাব লগীয়া হলে, শ্ৰীকৃষ্ণই গৰুড় পক্ষীৰ পিঠিত চৰি আকাশী পথেদি যাত্ৰা কৰে। আৰু

প্ৰয়োজন নাই, কন্যাপুৰত গোবিন্দৰ পক্ষীয় ৰণুৱাৰ অভাব নহব। আপুনি অগৌণে আৰু সদলে কন্যাপুৰলৈ শুভযাত্ৰা কৰক।" দেৱৰ্ষি নাৰদৰ সময়োপযোগী উপদেশ অনুসৰি, যাদৱ বাহিনীৰ বছা-বছা যাত্ৰীৰ মাজৰপৰা বাছকবনীয়া এদল ৰণবল মনোনীত কৰি লৈ যথাসময়ত হলায়ুধ, সাত্যকি, সুপৰ্ণ, প্ৰদ্যুম্ন প্ৰমুখ্যে যাদৱ যোদ্ধা লগত লৈ, আৰু নাৰদ মুনিকো লগতে লৈ, অগ্ৰজ ৰামে সৈতে গৰুড বাহনত চৰি, মহাবীৰ্য্য শ্ৰীহৰি যদুসিংহ শ্ৰীকৃষ্ণদেৱে দক্ষিণ কৰত অসি-চক্ৰ-গদা-বাণ আৰু বাম কৰত চৰ্ম্ম-শ্ৰাঙ্গ-বজ্ৰ শঙ্খ ধাৰণ কৰি[১], আকাশমাৰ্গেদি বায়ুবেগে কন্যাপুৰ উদ্দেশে যাত্ৰা কৰিলে।

চতুৰ্থ আধ্যা

অগ্নিগড় লঙ্ঘন

গৰুডবাহিনী যাদৱ যাত্ৰীদলক পিচত লৈ, সুপৰ্ণক আগ কৰি, বাওঁৱে প্ৰদ্যুম্নকোৱঁৰ আৰু সোঁৱে অগ্ৰজ হলধৰেৰে শাৰী পাতি যাদৱনেতা গৰুডধ্বজ কন্যাপুৰৰ অভিমুখে ক্ৰমাৎ অগ্ৰসৰ হব লাগিছে, এনেতে হলধৰে সম্মুখত দৃশ্য-পৰিবৰ্ত্তন দেখি, তত্ত্বজ্ঞ অনুজ শ্ৰীকৃষ্ণক এই বুলি আচৰিত হৈ সুধিবলৈ ধৰিলে, "হে কৃষ্ণ! ই কি আচৰিত! আমি সকলোটি অকস্মাৎ প্ৰভাহীন হৈ পৰিছোঁ কিয়? আৰু, আমি আটাইবিলাকে সোণালী বৰণ ধৰিছোঁহক কিয়? আন কি, তোমাৰ নীলিমা কৃষ্ণকান্তিয়েও হেঙ্গুলীয়া আকাশী বৰণ ধৰিছে। আমি সুমেৰুৰ কাষ চাপিছোঁহি নেকি?" ভগৱান শ্ৰীকৃষ্ণই এটি মিচিকিয়া হাঁহি মাৰি এই বুলি সমিচাৰ দিলে, "হে মহাবাহো! তেনেহলে জানিব, আমি কন্যাপুৰৰ নিচেই কাষ চাপিছোঁহিহক। মাজ কামৰূপৰ অধিপতি বাণ ৰজাৰ ৰাজ্যৰ কন্যাপুৰত উষা নগৰ পৰিৰক্ষণাৰ্থে তাৰ দক্ষিণ সীমাত যি অদ্ভুত অগ্নিগড়[২] প্ৰজ্বলিত হৈ আছে, সম্ভৱতঃ সেই গড়ৰ ওপৰৰ অগ্নিশিখাৰ জ্যোতিয়ে আমাক পাইছেহি। সেই হেতুকে আমাৰ এই বৰ্ণবিভ্ৰাট ঘটিছে।"[৩] এই কথাত বিস্ময় মানি পোনপটি বলৰামে তত্ত্বজ্ঞ শ্ৰীকৃষ্ণক পুনৰপি সশঙ্কিত চিত্তেৰে প্ৰশ্ন কৰিলে, "হে কৃষ্ণ! আমি অগ্নিগড়ৰ কাষ চাপোঁতেই যদি এইদৰে ক্ৰমাৎ নিষ্প্ৰভ হৈ পৰিছোঁ, তেন্তে সেইহেন অগ্নিগড় কি সাধ্যে লঙ্ঘন কৰিমহঁক?" তদুত্তৰত ভয়হাৰী শ্ৰীকৃষ্ণদেৱে এটি অভয়সূচক মৃদু হাঁহি মাৰি অগ্ৰজক এই বুলি প্ৰবোধ দিলে, "হে ভোলানাথ! তাৰ উপায় অৱশ্যে হব, আপুনি নিৰুদ্বেগে চাই থাওক।" এইবুলি যাদৱনেতা বাসুদেৱে শঙ্খবাদনেৰে সাঙ্কেতিক আদেশ জ্ঞাপন কৰা মাত্ৰে গৰুডবাহিনী অগ্নিগড়ৰ দক্ষিণে যোজনান্তৰত ব্ৰহ্মপুত্ৰৰ পাৰত নামিলগৈ, তাতে প্ৰত্যেক বাহনত[৪] পাৰ্য্যমানে পানী তুলি লোৱা হল। তাৰ পাচত, শঙ্খধাৰী শ্ৰীকৃষ্ণদেৱৰ দ্বিতীয় সাঙ্কেতিক দিহামতে, গৰুডবাহিনীয়ে অগ্নিতাপ চেৰাই বহু উৰ্দ্ধলৈ উধাই লৈ, ধাৰাসাৰে সেই সঞ্চিত পানী জ্বলন্ত অগ্নিগড়ৰ ওপৰত বৰষিবলৈ ধৰাত, সেই অগ্নিশিখা ক্ৰমাৎ টুটিবলৈ ধৰিলে, আৰু সেই চেগতে যাদববাহিনীয়ে সৈতে শ্ৰীকৃষ্ণদেৱে অগ্নিগড় লঙ্ঘন কৰি উষা নগৰত প্ৰৱেশ কৰিলেগৈ। তেতিয়া অঙ্গুলি নিৰ্দ্দেশেৰে নাৰদ মুনিয়ে শ্ৰীকৃষ্ণত এইবুলি নিবেদন কৰিলে[৫] "হে গোবিন্দ! সৌৱা

তাতকৈ কোনো আসন্ন আপদত দূৰ-বিদেশলৈ ৰণযাত্ৰা কৰিব লগীয়া হলেও, গৰুড়ে বৈ নিয়া ৰথত চৰি, নাইবা সমূহ গৰুড বাহনত নিজৰ বাছকবনীয়া ৰণুৱাদল তুলি লৈ ৰণযাত্ৰা কৰিছিল। সেই আপাহতে শ্ৰীকৃষ্ণক গৰুডধ্বজ বোলা হয়।

(১) হৰিবংশ, ১৭৮ আধ্যা। এই আপাহতে ভগৱান শ্ৰীকৃষ্ণ অষ্টবাহু নামেও অভিহিত। অৰ্থাৎ, বাসুদেৱ উল্লিখিত অষ্ট অস্ত্ৰধাৰী।

(২) অন্ত্যলীলা খণ্ডৰ প্ৰথম আধ্যাৰ প্ৰথম পৃষ্ঠাত দিয়া 'অগ্নিগড়' বিষয়ক টীকাত এই বিষয় বিস্তাৰিতকৈ বিবৃত হৈছে।

(৩) হৰিবংশ, ১৭৯ আধ্যা।

(৪) একৈক গৰুড একৈক বাহন। কোৱা বাহুল্য মাথোন যে, আধুনিক ধাৰণানুযায়ী গৰুড পক্ষী কেৱল এটিয়েই নহয়, সেই জাতীয় অনেক বলবান পক্ষী এজাত সেই কালত বিদ্যমান আছিল।

(৫) হৰিবংশ, ১৭৯ আধ্যা।

কন্যাপুৰ। হে হৰি! তাতে কুমাৰ অনিৰুদ্ধ আৱদ্ধ হৈ আছে।[১] হে মহাভুজ মাধৱ। আপোনাৰ মঙ্গলাৰ্থে আৰু শিৱভক্ত মহাসুৰ বাণ নৰপতিৰ ৰক্ষাৰ্থে মহাবল কাৰ্ত্তিকেয় সমন্বিতে হৰ-গৌৰীৰ প্ৰতিনিধি স্বৰূপে এক অজেয় মহাভৈৰৱ আৰু মহাভৈৰৱী দলে সো[illegible] মন্দিৰত[২] অৱস্থিতি কৰিছে।"

কন্যাপুৰত যাদৱবাহিনীয়ে খোপনিপিটি লোৱা মাত্ৰকে জলধৰ যেন কেশৱে শশধৰ সদৃশ্ শঙ্খবাদনেৰে ৰণ ঘোষণা কৰি দিলে। সেই ঘোষণাৰ সঙ্কেত শুনা মাত্ৰে সুসজ্জিত হৈ অদ্ভুতকৰ্ম্মা বাণ ৰজাৰ অসংখ্য অপ্ৰমেয় অক্ষয় কিঙ্কৰ সৈন্যগণে ভীষণ হুঙ্কাৰ ছাৰি যাদৱবাহিনীক চৌপাশৰপৰা বেৰি ধৰিলেহি। সেই অগণন অসুৰ সৈন্যগণে শূল, মুষল, অসি, গদা, পৰিঘ ইত্যাদি অস্ত্ৰেৰে সশস্ত্ৰ হৈ যাদৱবাহিনীৰ ওপৰত ভীষণ আক্ৰমণ বহুৱালেহি। মহাবাহু সঙ্কৰ্ষণে[৩] সেই ৰাহুমুখীয়া অসুৰবলৰ আক্ৰমণ ওফৰাবলৈ অগ্ৰসৰ হৈ অনুজ কৃষ্ণৰ সন্মতি আহ্বান কৰিলে। অগ্ৰজ ৰামৰ প্ৰস্তাৱ অনুমোদন কৰি, ৰণপণ্ডিত ধীমান্ মাধৱে এই বুলি সু-দিহা দিলে, "হে অগ্ৰজ। হে হলধৰ। আমাৰো সেয়ে অভিলাষ। কিন্তু, অসুৰ সৈন্যৰ সংখ্যা চাই, আমি গুটীযাকৈ ৰণ দিয়াটো কদাপি বাঞ্ছনীয় নহয়। আমাৰ তাকৰীয়া সৈন্যকে প্ৰত্যেকজন নেতাই ভগাই লৈ স্বকীযা-স্বকীযাকৈ ৰণ দিবলৈ গলে, অসুৰবল ক্ষয় হোৱাৰ আগেয়ে আমাৰ ৰণবল অন্ত পৰাৰ হে আশঙ্কা। এতেকে, আমি সবাৱে একেবাৰে একে চোচাত শত্ৰুক বিনাশ কৰিবলৈ আগ বঢ়াটোহে বাঞ্ছনীয়। সেই উদ্দেশ্যে মই প্ৰাঙমুখ হৈ যুদ্ধ দিওঁ। সুপৰ্ণ মোৰ আগে আগে আগৰঙা হওক আপুনি মোৰ সোঁপাশে আৰু প্ৰদ্যুম্ন কোৱঁৰ বাওঁপাশে হৈ আমি চাৰিও সমবায়ীকৈ ৰণত অগ্ৰসৰ হওঁক।" সেই দিশা অনুসৰি, অসুৰৰ অসংখ্য সৈন্যৰ লগত যাদৱ-বাহিনীৰ ৰণ আৰম্ভ হল। যুদ্ধশাস্ত্ৰবিশাৰদ মহাবাহু বলদেৱে লাঙ্গলৰ আগেৰে আকুহি আনি শত্ৰুসেনাক মুষলেৰে দগৰিবলৈ ধৰিলে। বাঘ যেন বীৰ্যবন্ত বীৰ মহাবল প্ৰদ্যুম্ন কাৰ্ত্তিকৰ শৰজালেৰে যুদ্ধমান দানৱগণক আগুৱাব নোৱাৰাকৈ আগভেটি দি ধৰিলে, সৰ্ব্বশাস্ত্ৰবিশাৰদ স্থিৰ যোদ্ধা শঙ্খ চক্ৰ-গদা পদ্মধৰ শ্ৰীকৃষ্ণদেৱে বিবিধ অদ্ভুত কৌশলেৰে বিচক্ষণীযা ৰণ দিবলৈ ধৰিলে। ফলত, দানৱ সৈন্যসমূহে সৰহ পৰ ঠাবৰিব নোৱাৰি ৰণভঙ্গ দি ছিটিকি পলাবলৈ ধৰিলে।[৪]

জ্বৰ সেনাপতিৰ অভাবনীয় আচৰণত বাণ নৰপতি স্তম্ভিত হল। তেওঁ ক্ষন্তেক কৰ্ত্তব্যবিমোৰ হৈ বৈ, পিচ-মুহূৰ্ত্তত ভীমগৰ্জ্জনেৰে গৰ্জ্জি উঠি ঘনে ঘনে হুঙ্কাৰ ছাৰি আৰু ভীষণ আস্ফালনেৰে ৰণভূমি কম্পমান কৰিলে। বীৰমদত উন্মত্ত হৈ মহাসুৰ বাণ নৰপতিয়ে স্বীয মন্ত্ৰী-সেনাপতি মহাজ্ঞানী মহাত্মা কুম্ভাণ্ডৰ আগত এই বুলি বাৰম্বাৰ অভিমান কৰিবলৈ ধৰিলে,—"আহিছে যদি, আহোক শ্ৰীহৰি পৃথিবীলৈ নামি, নডৰাওঁ মই। দৈবকী-নন্দন বাসুদেৱ গোপালকৃষ্ণ যদি আজি হৰি হব পাৰে, তেন্তে পাৰ্ব্বতীনন্দন ভৈৰৱতনয বলিসুত বাণ স্বয়ং হৰ হৈ তেওঁৰে সৈতে ৰণ কৰাটো নিচেই স্বাভাবিক বুলি জানিবাঁ।'[৫]

---

(১) মহাত্মা কম্ভাণ্ড মন্ত্ৰীৰ উপদেশ আৰু অনুৰোধ অনুসৰি বাণ-ৰজাই অনিৰুদ্ধ কুমাৰক প্ৰাণে নবধি উষা-নগৰতে সুদক্ষ ৰখীয়া এদল দি বন্দী কৰি ৰাখিছিল।

(২) তেজপুৰত বৰ্ত্তমান 'মহাভৈৰৱ মন্দিৰ' লক্ষিত হৈছে। এই মন্দিৰ বাণৰজাৰ দ্বাৰাই প্ৰতিষ্ঠিত হৈ অদ্যাপি বিদ্যমান। এই মন্দিৰত সেই কালত শৈৱশক্তিসম্পন্ন এজন মহাযোগী পুৰুষে অৱস্থান কৰিছিল। তেওঁ তপস্যাৰ বলত সাক্ষাৎ স্বয়ং মহাভৈৰৱ হৰসদৃশ্। এই মন্দিৰৰপৰা এক ক্ৰোশ দূৰত তেজপুৰৰ বৰ্ত্তমান 'মহাভৈৰৱী দেৱালয়', ইয়ো উষাদেৱীৰ পূজা-অৰ্চ্চনাৰ অৰ্থে তেওঁৰ পিতৃ বাণ-ৰজাৰ দ্বাৰাই প্ৰতিষ্ঠিত। এই মন্দিৰত মহাভৈৰৱৰ সহধৰ্ম্মিণী ৰুদ্ৰাণীসদৃশ্ এগৰাকী মহাভৈৰৱী নামক যোগিনী আৰু ভালেমান সহচৰী ভৈৰৱীয়ে সৈতে বাস কৰিছিল। সময়ে-সময়ে ভৈৰৱীসৱ সমন্বিতে গৈ মহাভৈৰৱীয়ে নৃত্য ক্ৰীড়া আদিত মহাভৈৰৱৰ লগত যোগ দিয়াৰ ৰীতি প্ৰচলিত আছিল।

(৩) ৰোহিণীনন্দন বলৰাম।

(৪) এয়ে 'হৰি-হৰ যুদ্ধ' আখ্যানৰ আঁতি-গুৰি। ইয়াৰ পৰিণামেই 'কুমাৰ-উদ্ধাৰ'।—হৰিবংশ, ১৮০ আধ্যা।

(৫) হৰিবংশ, ১৮১ আধ্যা।

বাণ নৰপতিক অতিশয় ৰোষান্ধচিত্ত হোৱা দেখি মহা ধৈৰ্য্যশীল মহাজ্ঞানী কুম্ভাণ্ড মন্ত্ৰীয়ে তেওঁক এই বুলি শান্ত কৰিবলৈ প্ৰয়াস পালে,—"হে মহাবাহো! হে মহাসুৰ দৈত্যৰাজ! আপোনাৰ অপৰাজিত দৈৱশক্তিৰ বিষয়ে মই অনভিজ্ঞ নহওঁ। মই জানোঁ। আপোনাৰ ঘোৰ তপস্যাত তুষ্ট হৈ আশুতোষ মহাভৈৰৱে আপোনাক মহাভৈৰৱী পাৰ্ব্বতী দেৱীৰ পুত্ৰক বৰ দান কৰি থৈছে। মই ইয়াকো জানোঁ যে, সেই বৰৰ প্ৰভাৱত আপুনি আংশিক হৰশক্তি লাভ কৰিছে। মই আৰু জানোঁ যে, সেই হৰশক্তি ৰক্ষাৰ্থে আপুনি সহস্ৰ অস্ত্ৰবিশাৰদ হৈ সহস্ৰভুজ নাম পাইছে। সেই হেতুকেই আপোনাক জিনোতা নাই, যেয়ে সেয়ে আপোনাৰে সৈতে ফেৰ পাতিবলৈ সাহ নকৰে। তেনেস্থলতো যে সুদূৰ দূৰদেশ দ্বাৰকাৰপৰা 'কানাই-বলাই' ৰাম-কৃষ্ণই বলাই-কানাই ৰূপে আহি অলঙ্ঘনীয় অগ্নিগড় লঙ্ঘন কৰি বলেৰে আপোনাৰ নগৰত প্ৰৱেশ কৰি আপোনাৰে সৈতে ফেৰ পাতিছেহি, তাৰপৰাই বুজিব লাগে যে, আপোনাৰ উপস্থিত বৈৰী সামান্য নৰ নহয়। মোৰ মনতো এনে ধাৰণা হে হৈছে, যেন কাৰ্ত্তিকেয় সমন্বিতে হৰ-পাৰ্ব্বতীয়ে অৱস্থান কৰা এই মহাভৈৰৱ থানত ৰুদ্ৰৰ সংহাৰৰপৰা উষা-অন্তঃপুৰ ৰক্ষাৰ্থে সৃষ্টিপাল ভগৱন্ত শ্ৰীহৰি স্বয়ং অৱতীৰ্ণ হৈছেহি! অৱশ্যে, আমাৰ এনে ধাৰণা প্ৰকৃত নহবও পাৰে, তথাপি এই মহাৰণৰ এটা নিগূঢ় কাৰণ নিশ্চয় আছে। গতিকে, মোৰ সামান্য বিবেচনাৰে কওঁ যে, এই ৰণত ইমানতে ক্ষান্ত হোৱা হে যুগুত, অনৰ্থক নৰ-শোণিতেৰে এই পবিত্ৰ ক্ষেত্ৰ প্লাৱিত কৰাৰ সকাম নাই। ইমানতো যদি আপুনি ক্ষান্ত নহয়, তেন্তে এই ৰণ 'হৰি-হৰ যুদ্ধ' যেন হে হবগৈ। ইয়াৰ শেষফল সংপ্ৰীতি সন্ধি সংস্থাপনত বাজে আন একো হব নোৱাৰে। এতেকে, ইমানতে বিনাৰক্তপাতে সেই শেষফল লাভ কৰাটো হে শ্ৰেয়ঃ।"

মহাত্মা কুম্ভাণ্ড মন্ত্ৰীৰ জ্ঞানগৰ্ভ উপদেশে ৰোষান্ধ বাণ মহাসুৰৰ প্ৰজ্বলিত ৰোষাগ্নি চতুৰ্গুণে উদ্দীপ্ত কৰিলে। তেওঁ ৰোষপৰবশ হৈ মহাজ্ঞানী সুদূৰদৰ্শী মন্ত্ৰীবৰক এই বুলি কৰ্কৰ্থনা কৰিবলৈ ধৰিলে, "মন্ত্ৰী! তুমি প্ৰাণৰ মমতাত এনেকৈ ভয়াতুৰৰ মন্তব্য প্ৰকাশ কৰিছা কিয়? ধিক্ তোমাৰ মন্ত্ৰিত্ব! ধিক্! তোমাৰ মনুষ্যত্ব! তুমি তোমাৰ প্ৰাণ লৈ কাপুৰুষৰ জীৱন যাপন কৰাগৈ, তাত মোৰ খেদ নাই, কিন্তু মোক তোমাৰ দৰে ভয়াতুৰ যেন নাভাবিবা, মোক উপস্থিত ৰণত ক্ষান্ত হবলৈ পৰামৰ্শ নিদিবা! মই স্বীয় পিতৃ[১] সৃষ্টিহাৰী হৰ ৰূপ ধাৰণ কৰি, স্বয়ং ৰণক্ষেত্ৰত অৱতীৰ্ণ হৈ, সামান্য কৃষ্ণকায় হৰিৰূপী শত্ৰুক বিনাশ কৰিমগৈ।" অযাচিতে এনে গ্লানি মহাত্মা কুম্ভাণ্ডৰ পক্ষে অতি অসহনীয় হল, তেওঁ ততালিকে স্বীয় অধীনস্থ সৈন্যবল সংগ্ৰহ কৰি লৈ ৰণক্ষেত্ৰত স্ব-ইচ্ছাৰ বিৰুদ্ধে হৰি-কৃষ্ণৰ প্ৰতিদ্বন্দী হৈ ফেৰ পাতিলেগৈ।

নিচেই অলপ পৰ মাথোন ৰণ দিওঁতেই কৃষ্ণচক্ৰাগ্নিৰ কোবত ঠাৰৰিব নোৱাৰি ভয়বিহ্বল হৈ তেওঁৰ প্ৰমথ সৈন্যগণ[২] ছিটিকি পলাবলৈ ধৰিলে। ধৰ্ম্মপ্ৰাণ কুম্ভাণ্ড মন্ত্ৰী ভক্তি-বিহ্বল হৈ নিৰস্ত্ৰ অৱস্থাত অগত্যা শৰণাপন্ন হবলৈ অগ্ৰসৰ হৈছে, এনেতে ধৰ্ম্মযোদ্ধা ভকতবৎসল শ্ৰীকৃষ্ণদেৱে তেওঁক ক্ষমা কৰি মুক্তি দিলে। তাৰ পাচত, মহাবীৰ্য্যৱন্ত হৰৰূপী বাণাসুৰ ক্ৰোধত অধীৰ হৈ, স্বয়ং হৰিকৃষ্ণৰ লগত ৰণ দিবলৈ উন্মত্তচিত্তেৰে আগ বাঢ়িল। ভৈৰৱীতনয়[৩] বলিনন্দন বাণাসুৰে প্ৰলয় কালৰ ৰুদ্ৰৰূপ ধাৰণ কৰি মহাবেগে গৈ কৃষ্ণহৰিক বিষম বিক্ৰমেৰে আক্ৰমণ কৰিলেগৈ। হৰৰূপী বাণাসুৰৰ ভীষণ ৰণসাজ আৰু সৃষ্টিহাৰীৰ অস্ত্ৰ-শস্ত্ৰ দেখি হৰিৰূপী শ্ৰীকৃষ্ণ পৰম পুলকিত হল। মুহূৰ্ত্তৰ মধ্যতে দুয়ো পক্ষৰ মাজত তুমুল ৰণ লাগি উঠিল। সাক্ষাৎ যেন প্ৰলয় কালত সৃষ্টিসংৰক্ষণ আৰু সৃষ্টিসংহৰণৰ অৰিয়া-অৰিত দুই বিৰোধী ঐশশক্তিয়ে 'হৰি-হৰ'ৰূপে ৰণত অৱতীৰ্ণ হলহি, এনে ধাৰণা চৌদিশে বিয়পি পৰিল।[৪]

(১) বাণ নৰপতিয়ে তপস্যাৰ বলত হৰ-পাৰ্ব্বতীৰ পুত্ৰত্ব লাভ কৰাৰ বিষয়ে ওপৰত উন্নকিয়াই অহা হৈছে।

(২) হৰিবংশ, ১৮১ আধ্যা।

(৩) পাৰ্ব্বতীৰ পুত্ৰত্ব লাভ কৰাৰ হেতুকে শিৱভক্ত বাণ নৰপতিক ভৈৰৱীতনয় বোলা হৈছে।

(৪) হৰিবংশ, ১৮০ আধ্যা।

অগ্নিগড় ৰক্ষক অসুৰ সৈন্যগণ ৰণত পৰাস্ত হোৱা সংবাদ পাই মহাভৈৰৱ আৰু মহাভৈৰৱী মহাপীঠ[১] ৰক্ষক দানৱ সৈন্যদলৰ অধ্যক্ষ 'জ্বৰ' নামে দানৱ সেনাপতি খঙত গৰ্জ্জি উঠিল। তেওঁ অনতিপলমে নিজৰ নিৰ্দ্ধাৰিত ৰণসাজ পৰিধান কৰি ত্ৰিপাদ ত্ৰিশিৰা ষড়ভুজ নবলোচন কালান্তক যমমূৰ্ত্তিমান হৈ 'ভস্ম' নামক মহাস্ত্ৰ ধাৰণ কৰি, অধীনস্থ সৈন্যবল লগত লৈ নবাগত অপৰিচিত আক্ৰমণকাৰী যাদৱ শত্ৰুৰ বিৰুদ্ধে অগ্ৰসৰ হ'ল। ৰোহিণীনন্দন হলধৰে তেওঁক আদবাটতে আগভেটি ধৰিলেগৈ; দুই বীৰৰ মাজত এখন তয়ামময়া ৰণ লাগিল। বহুপৰ যুদ্ধ চলিব লাগিছে, কিন্তু কেৰেঁ কাকো হটাব পৰা নাই। শেহান্তৰত, দানৱ বীৰ জ্বৰে তেওঁৰ 'ভস্ম' মহাস্ত্ৰ নিক্ষেপ কৰিলে। সেই অব্যৰ্থ কালান্তক অস্ত্ৰ গৈ হলধৰৰ বক্ষত নিক্ষিপ্ত হ'ল। ভস্মাস্ত্ৰৰ দ্বাৰাই আহত হৈ তাৰ বেদনাত মহাসহিষ্ণু মহাবীৰ বলৰামৰ শৰীৰ জৰ্জ্জৰিত হৈ পৰিল। তেওঁ স্থিৰেৰে ৰব নোৱাৰি উভলি পৰা দামকলৰ পুলিৰ দৰে লুটিখাই পৰিল।[২] হলধৰৰ সেই পতনত ৰণস্থল কঁপিবলৈ ধৰিলে। ভস্মাস্ত্ৰ কৃষ্ণাগ্ৰজৰ বক্ষঃস্থলত প্ৰবিষ্ট হোৱাত তেওঁৰ সমস্ত শৰীৰ অন্তৰে-অভ্যন্তৰে প্ৰজ্বলিত হ'ল। তাৰ জ্বালত ওষ্ঠাগতপ্ৰাণ হৈ তেওঁ ঘনউশাহ সলাবলৈ ধৰিলে। এনে আসন্ন সময়ত সৰ্ব্বতাপনাশক কৃষ্ণদেৱে কাষ চাপি গৈ উত্তপ্ত অগ্ৰজক এটি স্নিগ্ধ আলিঙ্গন দি, অদ্ভুত বলেৰে তেওঁৰ বক্ষৰপৰা সেই ভস্মাস্ত্ৰ বাজ কৰি, নিক্ষেপকাৰী দৈত্যবীৰ জ্বৰৰ গালৈ ওলটাই মাৰি পঠিয়ালে। আত্ম-অস্ত্ৰৰ অঘাতত দৈত্যবীৰ জৰ্জ্জৰিত হৈ পৰিল। তাৰ পাচত, ভগবান শ্ৰীকৃষ্ণই অতি ধীৰ আৰু স্থিৰ ভাৱে হাঁহি-হাঁহি এই বুলি দৈত্যসেনাপতি জ্বৰক যুঁজলৈ আহ্বান কৰিলে, "আঁহা, দৈত্যবীৰ, চাপি আঁহা, তোমাৰ গুণ-গৰিমা মই নিজ হাতে জুখি চাওঁ।" সেই আহ্বানৰ আৰম্ভণ শেষ হওঁতে-নহওঁতেই চকুৰ পচাৰতে উত্ৰাৱল হৈ আগ বাঢ়ি গৈ দানৱবীৰ জ্বৰে যাদৱ মহাবাহু বাসুদেৱক গৰাহ মাৰি ধৰিলেগৈ। কিন্তু, অমিততেজস্বী অদ্ভুতবল দৈৱকীনন্দন শ্ৰীকৃষ্ণদেৱে, গাত পৰা পোক-পৰুৱা এটা মোহাৰি পেলোৱাৰ দৰে, জ্বৰ বীৰক আছাৰি দলিয়াই পেলোৱাৰ পাচত, দুইৰে মাজত আকৌ এখন তুমুল সংগ্ৰাম লাগি উঠিল। বহুপৰ এই তয়াময়া ৰণ চলিবলৈ ধৰিলে। অৱশেষত জ্বৰ অৱসন্ন হৈ পৰিল। সদৌশেহত ভীমপৰাক্ৰমী দানৱ সেনাপতি জ্বৰ ঠাৰৰিবগৈ নোৱাৰি ৰণত পিঠি দেখুৱাই বিশ্বাশন্দে বাণপুৰৰ অভিমুখে সবেগে প্ৰস্থান কৰিলে। পীঠৰক্ষক দানৱ সেনাদলে অপৰিচিত যাদৱ সেনাপতিৰ অদ্ভুত বল-বিক্ৰমৰ পৰিচয় পাই বিস্ময় মানি ছত্ৰভঙ্গ হৈ আতুৰভাৱে কিৰিলিয়াই দিহাদিহি পলাবলৈ ধৰিলে। পুৰুষসিংহ মহাতেজস্বী যদুনাথ শ্ৰীকৃষ্ণৰ অদ্ভুত ৰণকৌশল দেখি স্তম্ভিত হৈ, তেওঁক শৰীৰধাৰী সৃষ্টিপালক স্বয়ং শ্ৰীহৰি বুলি মানি অৱশিষ্ট দানৱ সৈন্যবৰ্গ কেশৱৰ শৰণাগত হ'লহি।[৩]

পঞ্চম আধ্যা

হৰি-হৰ যুদ্ধ

জ্বৰ সেনাপতিয়ে সসৈন্য ৰণভঙ্গ দি পলাবৰ উপক্ৰম কৰা দেখি, মহাসুৰ বাণ নৰপতিয়ে সবেগে আগ বাঢ়ি আহি সিবিলাকক আগভেটি ধৰিলেহি। সেনাপতিৰ মুখে শ্ৰীকৃষ্ণৰ অদ্ভুত বল-বীৰ্য্য আৰু ৰণ-কৌশলৰ বৰ্ণনা শুনি দানৱৰাজ বাণ স্তম্ভিত হ'ল। সেই বৰ্ণনাৰ সামৰণিত জ্বৰ সেনাপতিয়ে উদ্বেলিতভাৱে এই বুলি বাসুদেৱ সম্পৰ্কে মন্তব্য ব্যক্ত কৰিলে,—"হে ভৈৰৱতনয়![৪]

(১) তেজপুৰত বিদ্যমান মহাভৈৰৱ মন্দিৰ আৰু মহাভৈৰৱী দেৱালয়েই সেই মহাপীঠ।

(২) হৰিবংশ, ১৮০ আধ্যা।

(৩) হৰিবংশ, ১৮০ আধ্যা।

(৪) তপস্যাৰ বলত বাণাসুৰে দেৱী পাৰ্ব্বতী মহাভৈৰৱীৰ পুত্ৰত্ব লাভ কৰিছিল বুলি আখ্যা ইতঃপূৰ্ব্বতে লিপিবদ্ধ হৈ আছে। মহাভৈৰৱ আশুতোষ হৰ সদাশিৱই বাণৰজাক কাৰ্ত্তিকেয়ৰ অনুজ তৃতীয় পুত্ৰৰূপে গ্ৰহণ কৰে। —হৰিবংশ, ১৭৩ আধ্যা।

হে বলিনন্দন! হে সহস্ৰভুজ![1] যাৰ লগত ৰণ দি পৰাস্ত হৈ পলায়ন কৰিছোঁ, তেওঁ মানুহ বুলি মোৰ মনে নধৰে, তেওঁ ঈশ্বৰাৱতাৰ বুলিহে মোৰ জ্ঞান হৈছে। সৃষ্টি ৰক্ষাৰ অৰ্থে ৰুদ্ৰৰ সংহাৰ কাৰ্য্য নিবাৰিবলৈ ৰণক্ষেত্ৰত স্বয়ং শ্ৰীবিষ্ণু অৱতীৰ্ণ হোৱা যেন হে মোৰ ধাৰণা হৈছে। এই ৰণত সমুখ হবলৈ আন কাৰো সাধ্য নাই; দেবাদিদেৱ মহাদেৱ স্বয়ং হৰ মহেশ্বৰেও উপস্থিত ৰণত অপৰ পক্ষ সাক্ষাৎ শ্ৰীহৰি জগদীশ্বৰৰ আগত কিমান পৰলৈ ঠাৰৰিব পাৰিব কব নোৱাৰিছোঁ!" এই বুলি সিমানৰেপৰা আকৌ পিঠি-দিয়া ৰণস্থললৈ উন্মাদৰ দৰে উৰাৰত হৈ উলটি আহি জ্বৰ সেনাপতিয়ে শ্ৰীকৃষ্ণচৰণত সকাতৰে শৰণ মাগিলেহি। ভকতবৎসল ভগৱান বাসুদেৱে সেই শৰণাগতক আশ্ৰয়-পদছাঁয়া দি গাঢ় আলিঙ্গনেৰে সাবটি ধৰিলে।

হৰিহৰ-যুদ্ধত পৃথিবী টল্‌বলাবলৈ ধৰা যেন হল। সৃষ্টি ৰসাতললৈ যায়-যায় যেন লাগিল।[2] এনে আসন্ন কালত উপায়ান্তৰ হৈ বসুমতীয়ে সৃষ্টি ৰক্ষাৰ্থে সৃষ্টিকৰ্ত্তাৰ ওচৰত স্তুতি কৰা যেন বোধ হল।[3] তাৰ ফলস্বৰূপ, সৃষ্টি ৰক্ষাৰ্থে সৃষ্টিপালক কৃষ্ণৰূপী বিষ্ণু আৰু সৃষ্টিসংহাৰক বাণৰূপী হৰ বা ৰুদ্ৰৰ মাজত সৃষ্টিকৰ্ত্তাসুত[4] দেৱৰ্ষি নাৰদ মুনিয়ে নৰবেশী হৰি-হৰৰ[5] আগত এই বুলি ঐশশক্তিৰ বিৰোধবাদী কন্দল মাৰ নিয়াই সন্ধি সংস্থাপনৰ প্ৰয়াস পালে,—"হে নৰদেহী দেৱপ্ৰতিদ্বন্দ্বীদ্বয়! আপোনাসকল প্ৰকৃতিস্থ হওক। মোৰ জৰিয়তে প্ৰেৰিত দৈৱবাণী শ্ৰৱণ কৰোক। আজি এই ৰণ ক্ষেত্ৰ কন্যাপুৰত হৰ আৰু হৰি প্ৰতিদ্বন্দ্বী হৈ ৰণোন্মত্ত হোৱাত সৃষ্টিৰ একাংশত প্ৰলয় উপস্থিতৰ আগন্তুক দেখা গৈছে। বিষ্ণুৰ অৱতাৰ শ্ৰীকৃষ্ণ আৰু ৰুদ্ৰৰ তনয় বাণাসুৰ এনেহেন নৰোত্তমৰ মাজত 'হৰি-হৰ-ৰণ' সদৃশ্ ভীষণ ৰণ উপস্থিত! তাৰ ফলত আজি মহাভৈৰৱৰ এই পৰম ৰমণীয় ক্ৰীড়াক্ষেত্ৰ শোণিতপুৰ হৈ ৰসাতললৈ যায়-যায় যেন হৈছে। বিশেষকৈ, সৃষ্টিপালকৰ হাতত সৃষ্টিনাশৰ উপক্ৰম ঘটিছে! গতিকে, পিতামহ ব্ৰহ্মাৰ অনুজ্ঞানুসৰি মই এই মহাৰণৰ নিবৃত্তিৰ অৰ্থে অযাচিতে মধ্যস্থ উপস্থিত হৈছোঁহি। এতেকে, মোৰ এই সভক্তি অনুৰোধ, আপোনাসকলে যেন স্বচেষ্টাৰে প্ৰকৃতিস্থ হৈ, আপোনাসকলৰ মাজত প্ৰতিদ্বন্দ্বিতা পৰিহাৰ কৰি, সংপ্ৰীতি সন্ধি সংস্থাপন কৰে। আজি মই নৰলোকৰ হৈ, হৰিক হৰ, আৰু হৰক হৰি ৰূপে দৰ্শন পাবলৈ বাঞ্ছা কৰোঁ। কিয়নো, যেয়ে হৰি সেয়ে হৰ আৰু যেয়ে হৰ সেয়ে হৰি। হৰিহৰ অভেদাত্মা। যি আদি-মধ্য-অন্ত্যবিহীন সেই হৰিহৰাত্মক ৰূপ আপোনাসকলে ধাৰণ কৰিছে। এতেকে, আপোনাতে আপুনি ৰণ-বিগ্ৰহ ঘটাই আপোনাক আপুনি বিনাশ কৰিবলৈ আপোনাসকল উদ্যত হোৱাৰ নিচিনা হৈছে; কিয়নো, যেয়ে বিষ্ণু সেয়ে ৰুদ্ৰ, যেয়ে ৰুদ্ৰ সেয়ে ব্ৰহ্মা। এতিয়া, বিষ্ণু আৰু ৰুদ্ৰৰ উগ্ৰভাব লক্ষ্য কৰি, পিতামহ ব্ৰহ্মা[6] সৃষ্টিকৰ্ত্তাৰ প্ৰতিনিধি স্বৰূপে উপস্থিত হৈ মই মিনতি জনাইছোঁ, আপোনাসকল ক্ষান্ত হওক। বৈৰী ভাব পৰিহাৰ কৰি আপোনাসকলে মৈত্ৰী ভাব ধাৰণ কৰোক!" এই বুলি বীণাধাৰীয়ে[7] অতি মৰ্ম্মস্পৰ্শী সুৰেৰে সৃষ্টি-মহিমা কীৰ্ত্তনৰ স্তৱ কৰিবলৈ ধৰিলে। শুনি শুনি শ্ৰীকৃষ্ণ তন্ময় হল, বাণাসুৰ বিমোহিত হৈ ঠৰ লাগিল! দুইৰো হাতৰ অস্ত্ৰাদি সৰি সৰি পৰিল। সেই সু-ছেগতে সম্মিলন-সুৰেৰে নাৰদ মুনিয়ে এই হৃদয়গ্ৰাহী সৃষ্টিৰক্ষক স্তৱ গাবলৈ ধৰিলে:—"মিলিতদেহ ৰুদ্ৰ আৰু

---

(১) 'হৰিবংশ' আৰু পুৰাণাদিত বাণৰজা স্বৰূপতে সহস্ৰভুজ আছিল বুলিয়েই বৰ্ণিত হৈছে। কিন্তু, প্ৰকৃততে মহাবীৰ্য্যবান বাণ নৰপতিয়ে ৰণ-বিগ্ৰহাদিত সহস্ৰবিধ ৰণাস্ত্ৰ ব্যৱহাৰ কৰাৰ আপাহত হে ৰূপান্তৰত তেওঁক সহস্ৰ-ভুজ বোলা হয়।

(২) হৰিবংশ, ১৮০—৮১ আধ্যা।

(৩) এই অনুভৱেই 'বাণ-কৃষ্ণ' হৰিহৰ-যুদ্ধৰ আখ্যা দিছে।

(৪) নাৰদ মুনি সৃষ্টিকৰ্ত্তা ব্ৰহ্মাৰ নাতি ৰূপে অভিহিত সেই আপাহতে তেওঁক দেৱৰ্ষি বোলা যায়।

(৫) বাণ-কৃষ্ণক লক্ষ্য কৰা হৈছে।

(৬) সৃষ্টিকৰ্ত্তা স্বৰূপে ব্ৰহ্মা সকলোৰে পিতামহ। অৰ্থাৎ, সৃষ্টিৰ পিতৃ-মাতৃ পুৰুষ-প্ৰকৃতিৰো স্ৰষ্টা ব্ৰহ্মা; এতেকে সেই পুৰুষ-প্ৰকৃতিৰ সন্ততি মাত্ৰৰে ব্ৰহ্মা পিতামহ। নাৰদ মুনি সেই সন্ততিৰ মাজত সৰ্ব্বপ্ৰধান বুলি তেওঁ ব্ৰহ্মাৰ পোনহতীয়া নাতিৰূপে অভিহিত।

(৭) বীণা-বাদনত নাৰদ মুনি বীণাপাণিৰ বৰপুত্ৰ স্বৰূপ

কৃষ্ণক নমস্কাৰ, ত্ৰিনেত্ৰক নমস্কাৰ, দ্বিনেত্ৰক নমস্কাৰ। পিঙ্গলনেত্ৰ কুমাৰগুৰুক নমস্কাৰ, পদ্মনেত্ৰ প্ৰদ্যুম্নগুৰুক নমস্কাৰ। ধৰণীধৰক নমস্কাৰ, গঙ্গাধৰক নমস্কাৰ, ময়ুৰ-পিচ্ছধৰক নমস্কাৰ, কেয়ূৰধাৰীক নমস্কাৰ। কপালমালীক নমস্কাৰ, বনমালীক নমস্কাৰ, ত্ৰিশূলহস্তক নমস্কাৰ, চক্ৰ-হস্তক নমস্কাৰ। কণকদণ্ডীক নমস্কাৰ, ব্ৰতদণ্ডীক নমস্কাৰ, চৰ্ম্মবাসক নমস্কাৰ, পীতবাসক নমস্কাৰ। লক্ষ্মীপতিক নমস্কাৰ, উমাপতিক নমস্কাৰ; খট্বাঙ্গধাৰীক নমস্কাৰ, মুষলধাৰীক নমস্কাৰ। ভস্মাঙ্গধাৰীক নমস্কাৰ, কৃষ্ণাঙ্গধাৰীক নমস্কাৰ; শ্মশানবাসীক নমস্কাৰ, আশ্ৰমবাসীক নমস্কাৰ; বৃষভবাহনক নমস্কাৰ, গৰুড়বাহনক নমস্কাৰ, প্ৰলয়কৰ্ত্তাক নমস্কাৰ, সাগৰশায়ীক নমস্কাৰ। বহুৰূপক নমস্কাৰ, ভৈৰৱ-ৰূপক নমস্কাৰ। দক্ষযজ্ঞবিনাশন, বলিনিসূদন, দেৱবিৰু-পাক্ষ, সৌম্যেক্ষণক নমস্কাৰ; পৰ্ব্বতবাসীক নমস্কাৰ, সাগৰবাসীক নমস্কাৰ; অসুৰনাশনক নমস্কাৰ, ত্ৰিপুৰ-নাশনক নমস্কাৰ। নৰকহন্তাক নমস্কাৰ, কামাঙ্গনাশনক নমস্কাৰ; অন্ধকঘাতীক নমস্কাৰ, কৈটভহন্তাক নমস্কাৰ। সহস্ৰহস্তক নমস্কাৰ, অসংখ্যেয়বাহুক নমস্কাৰ, সহস্ৰশীৰ্ষক নমস্কাৰ, বহুশীৰ্ষক নমস্কাৰ। দেৱ-দামোদৰ আৰু মুঞ্জ-মেখলীক নমস্কাৰ। হে ভগৱান বিষ্ণু! আপোনাক নমস্কাৰ। হে ভগৱান শিৱ! আপোনাক নমস্কাৰ। হে দেৱ ভগৱান! আপোনাক নমস্কাৰ, হে দেৱপূজিত! আপোনাক নমস্কাৰ। হে সামসমূহ গীত! আপোনাক নমস্কাৰ, হে যজুৰ্গীত! আপোনাক নমস্কাৰ। সুৰশত্ৰু-হন্তাক সুৰপূজিতক নমস্কাৰ। যিজন কৰ্ম্মীগণৰ কৰ্ম্ম আৰু অমিতপৰাক্ৰম সিজনক নমস্কাৰ। হে হৃষীকেশ! আপোনাক নমস্কাৰ। হে স্বৰ্ণকেশ আপোনাক নমস্কাৰ।[১]" এই দেহৰক্ষক, জীৱনৰক্ষক, সংসাৰৰক্ষক, সৃষ্টিৰক্ষক স্তৱ নিবিষ্টমনেৰে শ্ৰৱণ কৰি, প্ৰেমালিঙ্গনেৰে বান্ধ খাই, দুই গুচি বাণ-কৃষ্ণ এক হল,—চৌদিশে 'হৰিহৰ-মিলন'[২] ৰূপৰ জেউতি বিয়পি পৰিল। এই মিলন-মহত্বতে সেই অমিল-মূলক 'হৰিহৰ-যুদ্ধ' মাৰ গল।

ইতিছেগতে বাণকিঙ্কৰ[৩] আৰু ৰুদ্ৰপাৰিষদ[৪] বৰ্গে মায়াযুদ্ধ[৫] অৱলম্বন কৰি প্ৰদ্যুম্ন কোৱঁৰক অকলশৰীয়াকৈ পাই আক্ৰমণ কৰিলেগৈ। মহাবল ৰুক্মিণীনন্দন আৰু প্ৰমথগণ প্ৰমুখ্যে সম্মিলিত দানৱ সৈন্যদলৰ মাজত বহু পৰলৈকে তয়াময়া ৰণ চলিবলৈ ধৰিলে, আৰু শেহান্তৰত অকলশৰীয়া কৃষ্ণকুমাৰ অৱশ হৈ পৰিল। ইতিক্ষণতে সিফালে হৰিহৰ-ৰণৰ সামৰণি পৰে। সেই অৱকাশত শ্ৰীকৃষ্ণদেৱে প্ৰাণপ্ৰতিম পুত্ৰ প্ৰদ্যুম্ন কোৱঁৰৰ পতন সংবাদ পাই, অনতিপলমে গৈ সম্মিলিত দানৱদলৰ মায়াযুদ্ধৰ মাজত সোমালেগৈ। অমিততেজস্বী যদুসিংহ কেশৱৰ আগত সৰহপৰ ঠাৱৰিব নোৱাৰি দানৱদলে ছিটিকি পলাবলৈ ধৰিলে; ৰুক্মিণীনন্দনে পিতৃশুশ্ৰূষাত সংজ্ঞা লাভ কৰি ৰুক্মিণীনাথৰ অপত্যস্নেহপূৰ্ণ আলিঙ্গনত জিৱণি লাভ কৰিলে। ইয়াৰ অলপ পাচতে, শ্ৰীকৃষ্ণৰ অনুগামী হৈ বাণ নৰপতিয়েও কাষ-চাপি আহি কোৱঁৰৰ শুশ্ৰূষাত যোগ দিলেহি। তাৰ পাচত, ৰুদ্ৰমূৰ্ত্তি হলধৰে উভ্ৰাৱল হৈ আহি অতি চেনেহৰ ভতিজাপুত্ৰ প্ৰদ্যুম্ন কোৱঁৰক শুশ্ৰূষা কৰিবলৈ ধৰিলে। তিনিওৰো সম্মিলিত শুশ্ৰূষাৰ ফলত কৃষ্ণকুমাৰ অনতিপলমে প্ৰকৃতিস্থ হল।

হৰিহৰ-ৰণ সামৰণৰ পাচত, সংপ্ৰীতিসন্ধিসংস্থাপনৰ অৰ্থে আলোচনা আৰম্ভ কৰা হল। সেই আলোচনাৰ মূলত ধৰ্মাত্মা কুম্ভাণ্ড মন্ত্ৰী আৰু মধ্যত দেৱৰ্ষি নাৰদ মুনিয়ে থিত্ দিলেহি। কিন্তু মন্ত্ৰীয়ে বহুল বুজনিৰে সৈতে বাণ নৰপতিৰ প্ৰতি এই বুলি নিবেদন কৰিলে,—"হে ভৈৰৱতনয়! হে বলিনন্দন! যি হৰিয়ে বামন ৰূপ ধৰি আপোনাৰ মহাবীৰ্য্যৱন্ত পিতৃ বলিৰাজক ছলিছিলহি, সেই

(১) হৰিবংশ—১৮১ আধ্যা।

(২) কৃষ্ণৰূপী হৰি আৰু বাণৰূপী হৰ।

(৩) বাণ-ৰজাৰ গা-চোৱা আৰু নগৰৰক্ষক ৰণুৱাবৰ্গক বাণকিঙ্কৰ বোলা হৈছিল।

(৪) মহাভৈৰৱ দেৱালয়ৰক্ষক ৰাজকীয় সেনাবৰ্গক ৰুদ্ৰপাৰিষদ বোলা হৈছিল।

(৫) বাণ-ৰজা অসুৰ। তেওঁ ভালেমান ভেলেকী-বাণ সদৃশ্ অদ্ভুত ৰণ-কৌশলেৰে যুদ্ধ কৰিছিল; তাকে মায়াযুদ্ধ বোলা হয়!

হৰিৰে এক কলা এই শ্ৰীকৃষ্ণ। এহাতে, ভক্তি-তপস্যাৰ ফলত আপুনি মহাভৈৰৱ হৰৰ পুত্ৰত্ব লাভ কৰিছে, আন হাতে, হৰিহৰ অভেদাত্মা বুলি প্ৰত্যক্ষে প্ৰমাণিত হৈছে। যেই হৰি সেই হৰ, যেই হৰ সেই হৰি। এতেকে, এতিয়া ভগৱান শ্ৰীকৃষ্ণ ৰূপী হৰি আৰু হৰতনয় বাণ-নৰপতিৰ মাজত সংপ্ৰীতি সন্ধি সংঘটন হলে সি সাক্ষাৎ হৰিহৰ-সন্মিলন সদৃশ্ হব। বিশেষতঃ, আপোনাৰ সাধ্বী-সতী কন্যা উষাদেৱী যি স্থলত পান্ধৰ্ব বিবাহ সূত্ৰেৰে কৃষ্ণনাতি প্ৰত্যুম্ননন্দন অনিৰুদ্ধ কুমাৰেৰে সৈতে সঙ্গতা হৈছে, সেই স্থলত আপুনি আপোনাৰ কন্যাক কুমাৰৰপৰা প্ৰতিগ্ৰহ কৰিবলৈ, কিম্বা অপৰ পাত্ৰত সম্প্ৰদান কৰিবলৈ বিধি নাই। তদুপৰি, শৌৰ্য্য, বীৰ্য্য, সৌন্দৰ্য্য, কুল আৰু সত্বসমন্বিত কুমাৰ অনিৰুদ্ধ হেন পুৰুষোত্তমক জামাতৃ লাভ কৰাটো আপোনাৰ পক্ষে অতি গৌৰৱ আৰু সৌভাগ্যৰ বিষয়। এই দৈৱিক ঘটনা কুমাৰ-হৰণ আৰু উষা হৰণেই হৰিহৰ ৰণৰ মূল কাৰণ, এই অভাবনীয় ৰণেই নিমিত্ত-কাৰণ হৈ ভগৱান শ্ৰীকৃষ্ণৰ পদাৰ্পণে আজি পুণ্যভূমি শোণিতপুৰ সুপৱিত্ৰ কৰিলে। এতেকে, হে ৰাজন! মোৰ বোধেৰে, আপুনি হৃষ্টচিত্তেৰে কুমাৰী উষাদেৱীক কুমাৰ অনিৰুদ্ধদেৱলৈ সম্প্ৰদান দি, বৈষ্ণৱৰাজ যাদবেশ্বৰ আৰু শৈৱৰাজ দানবেশ্বৰ আপোনাৰ মাজত সংপ্ৰীতি সন্ধি সংস্থাপন কৰাটো সৰ্ব্বতোভাৱে বিধেয়। শৈৱ বৈষ্ণৱ-সন্মিলন আপোনাৰ দিনতে পোন্ প্ৰথম সংঘটন নহব, আপোনাৰ কীৰ্ত্তিমন্ত পিতৃ বলিৰাজৰ দিনতেই সংঘটিত হৈ আছে।” মহাত্মা কুম্ভাণ্ডৰ বক্তব্যৰ অন্তত, দেৱৰ্ষি নাৰদ মুনিয়ে তেওঁৰ প্ৰতি কথাকে সংযুক্তি সমৰ্থন কৰি, তেওঁৰ প্ৰস্তাবিত সন্ধি-সংস্থাপন আহ্বান কৰিবলৈ বাণৰাজক উপদেশ দি, সেই সম্প্ৰীতি সন্ধি সংস্থাপনৰ প্ৰস্তাবত মান্তি হবলৈ ভগৱান শ্ৰীকৃষ্ণত সভক্তি প্ৰাৰ্থনা জনালে। এই মতে, ভগৱান শ্ৰীকৃষ্ণদেৱে ৰাম, প্ৰদ্যুম্ন, নাৰদ আৰু ডগৰাকী মহাজ্ঞানী পুৰুষৰ প্ৰস্তাব আৰু সমৰ্থন অনুসৰি উভয় পক্ষে বাণ কৃষ্ণসন্ধিবন্ধন সাদৰে গ্ৰহণ কৰিলে।

‘বাণ-কৃষ্ণ সন্ধি’ সংস্থাপনৰ পাচত, বাণৰাজৰ অনুৰোধ মতে, ভগৱান শ্ৰীকৃষ্ণদেৱে ৰাম, প্ৰদ্যুম্ন, নাৰদ আৰু সুপৰ্ণ সমন্বিতে উষাঅন্তঃপুৰলৈ প্ৰৱেশ কৰি মহোল্লাসেৰে অনিৰুদ্ধ কুমাৰক বন্দীশালৰপৰা যথাবিধি মুক্ত কৰিলেগৈ। তাৰ পাচত, নাৰদমুনিৰ বিধান অনুসৰি, সৰ্ব্বসন্মতিক্ৰমে উষা-অনিৰুদ্ধৰ বীৰ্য্যাঙ্ক বিবাহকাৰ্য্য সম্পাদন কৰা হয়, আৰু ধৰ্ম্মাত্মা কুম্ভাণ্ড মন্ত্ৰীয়ে অতুল ঐশ্বৰ্য্যপূৰ্ণ যৌতুক যথাবিধি ৰজাৰ হৈ অৰ্পণ কৰিলেহি। সেই ছেগতে বিচক্ষণীয়া ৰাজনীতিজ্ঞ মহামন্ত্ৰী ধৰ্ম্মাত্মা কুম্ভাণ্ড মন্ত্ৰীৰে সৈতে সদালাপ কৰি, সৰ্ব্বশাস্ত্ৰবিশাৰদ অলৌকিক ৰাজনৈতিকপুৰুষ ভগৱান শ্ৰীকৃষ্ণই পৰম তৃপ্তি লাভ কৰিলে।[১] এই অনুক্ৰমে শুভ-কাৰ্য্যাদি সম্পাদন কৰি উঠি, স্বমলীয়া মিত্ৰ বাণ ৰজাৰ ওচৰত সম্প্ৰীতি বিদায় গ্ৰহণ কৰি, নাতি-বোৱাৰী উষাদেৱী আৰু নাতি কোৱঁৰ অনিৰুদ্ধদেৱক আদৰি লৈ, যাদৱ-বাহিনীৰে সৈতে, হৰিষ্ চিত্তেৰে শ্ৰীহৰি শ্ৰীকৃষ্ণ দ্বাৰকা প্ৰত্যাগমনৰ অৰ্থে সষ্টম হল। ন-বোৱাৰী বাণ ৰজাৰ জীয়াৰী উষাদেৱীৰ লগৰী হৈ, চিত্ৰলেখা আৰু কুম্ভাণ্ড-জীয়াৰী প্ৰমুখ্যে উষাদেৱীৰ কেইগৰাকীমান সখীয়াও বাণ-পাৰিষদ জনচেৰেকৰে সৈতে কন্যাঘৰীয়াৰূপে সহযাত্ৰী হল।

ষষ্ঠ আধ্যা

দ্বাৰকাত উষাদেৱী

শ্ৰীকৃষ্ণৰ অনুজ্ঞা আৰু বাণ নৰপতিৰ অনুমতি অনুসৰি, ধৰ্ম্মাত্মা কুম্ভাণ্ড মন্ত্ৰীয়ে[২] সখীমণ্ডলীৰে সৈতে পৰিবৃতা কৰি, যাদৱ যাত্ৰীৰ মাজত নিৰূপিত গৰুড-বাহনত উপবিষ্টা কৰি,

(১) মহাজ্ঞানী কুম্ভাণ্ড মন্ত্ৰীৰ সাংসাৰিক, ৰাজনীতিক, সামাজিক আৰু আধ্যাত্মিক জ্ঞানৰ পৰিচয়ত পৰিতৃপ্ত হৈ, ভগৱান শ্ৰীকৃষ্ণই বাণ নৰপতিৰ সন্মতিক্ৰমে মহাত্মা কুম্ভাণ্ডক শোণিতপুৰৰ একাংশৰ অধিপতি পাতি তেওঁক যথাযোগ্য মান ধৰে।—হৰিবংশ, ১৮৩ আধ্যা।

(২) মহাজ্ঞানী কুম্ভাণ্ড মন্ত্ৰীৰ সাংসাৰিক, সামাজিক, ৰাজনৈতিক আৰু আধ্যাত্মিক জ্ঞানৰ পৰিচয়ত পৰিতুষ্ট হৈ, ভগৱান শ্ৰীকৃষ্ণই, বাণ নৰপতিৰ সন্মতিক্ৰমে, তেওঁক শোণিতপুৰৰ একাংশত অধিপতি পাতি যথাযোগ্য মান ধৰে -হৰিবংশ, ১৮৩ আধ্যা

উষাদেৱীক, যথাসমাদৰে বিদায় দিলেগৈ। ইতিমধ্যাত যথাৰীতি বলদেৱৰ ৰামশিঙা বাজি উঠিল,—যাদৱবাহিনীয়ে ভাগে ভাগে যথাযোগ্য গৰুড-যানত আৰোহণ কৰিলে গৈ। তাৰ পাচত, ৰাম-কৃষ্ণ, প্ৰদ্যুম্ন-অনিৰুদ্ধ, নাৰদ-সুপৰ্ণ আৰু বাণ-পাৰিষদ যাত্ৰীসকলে যোৰা-যোৰাকৈ গৰুড-বাহনত চৰি, যাদৱবাহিনীৰ আগ, গুৰি আৰু মাজ ভাগ শুৱনি কৰি দ্বাৰকাৰ অভিমুখে মহা সমাৰোহেৰে যাত্ৰা কৰিলে।

ওলটা-যাত্ৰাত যাদৱবাহিনীয়ে সুদীৰ্ঘ আকাশীপথ[1] অতিক্ৰম কৰাৰ পাচত, যেতিয়া কৈলাস-শিখৰ সদৃশ্ নীলগ্ৰীৱ শুভ্ৰ প্ৰাসাদ সমষ্টিৰে সৈতে সুশোভিতা দ্বাৰ-মালিনী দ্বাৰাৱতী দৃষ্টিগোচৰ হল, তেতিয়া নিলগৰপৰা গদাচক্ৰধৰ দ্বাৰকেশ্বৰ কেশৱ প্ৰত্যাগমনৰ নিদৰ্শন সংজ্ঞা পাঞ্চজন্য[2] বাদনেৰে জ্ঞাপন কৰা হল। সেই পাঞ্চজন্য সংজ্ঞাধ্বনি শুনামাত্ৰকে পুৰবাসীগণে বহু-বিস্তৰ মাঙ্গলিক নিদৰ্শনৰে সৈতে দ্বাৰাৱতী-দুৱাৰত কৃষ্ণ-প্ৰত্যাগমন প্ৰতীক্ষা কৰিলেগৈ। যথাসময়ত দ্বাৰকাদ্বাৰত উপনীত হৈ ব্ৰাহ্মণ আৰু কুলবৃদ্ধগণৰ দ্বাৰাই অৰ্পিত অৰ্ঘ্য গ্ৰহণ কৰাৰ পাচত, শ্ৰীকৃষ্ণদেৱে দুৰ্জ্জয় মহাসুৰ বাণ নৰপতিৰে সৈতে কৰা মহাৰণ, তাৰ পৰিণামত হোৱা সংপ্ৰীতি সন্ধি-সংস্থাপন আৰু উসা-অনিৰুদ্ধৰ গান্ধৰ্ব্ব আৰু বীৰ্য্যাক্ষ বিবাহৰ বিষয়ে চমুকৈ বৰ্ণনা কৰি যথাবিধি বৰ-কন্যা আদৰণীৰ অনুজ্ঞা জ্ঞাপন কৰিলে, আৰু সেই অনুসৰি সেই সম্বন্ধীয় মাঙ্গলিক কাৰ্য্যাদি অনতিপলমে সম্পাদিত হৈ উঠিল। তাৰ পাচত, আহুক, বসুদেৱ, শাম্ব, সাত্যকি, পিশঠ, উল্মুখ, বিপৃথু, অক্ৰূৰ প্ৰমুখ্যে যাদৱপ্ৰধানসকলে আগবাঢ়ি গৈ বৰ-কন্যা সমন্বিতে কন্যাযাত্ৰীবৰ্গক যথাবিধি অভ্যৰ্থনা কৰিলে গৈ। সেই অভ্যৰ্থনা গ্ৰহণৰ সংজ্ঞা স্বৰূপ কন্যাযাত্ৰী সমন্বিতে বাসুদেৱ, বলদেৱ, প্ৰদ্যুম্ন, সুপৰ্ণ এই সকলে গৰুডবাহনৰ-পৰা অৱৰোহণ কৰি সিবিলাকক সংপ্ৰীতি আলিঙ্গন প্ৰতিদান দিলেহি। ইতিমধ্যাত, দৈৱকী, ৰেৱতী, ৰুক্মিণী, মায়াৱতী প্ৰমুখ্যে পুৰনাৰীবৰ্গে শান্তিসঞ্চাৰক মিলিত মাঙ্গলিক উৰুলিধ্বনিৰে গগন নিনাদিত কৰি যথাবিধি বৰ-কন্যাক অন্তঃপুৰলৈ আদৰি নিলেহি। জয়ে-জয়ে মাতৃশাহু প্ৰদ্যুম্নপত্নী মায়াৱতীয়ে চেনেহৰ পো বোৱাৰী উষাদেৱীক আপোন কক্ষলৈ আদৰি নি মহাৰ্হ ৰত্নৰাশি আৰু বিচক্ষণীয়া সাজ সমলেৰে যথাৰীতি সংকাৰ কৰিলেগৈ। তাৰ পাচত, পিতামহী-শাহু ৰুক্মিণীদেৱী, প্ৰপিতামহী-শাহু দৈৱকীদেৱী প্ৰমুখ্যে যাদৱী পুৰনাৰীবৰ্গৰ ঘাই-ঘাই সকলে ভাগে-ভাগে আৰু মানে-মানে আদৰুৱা ন-বোৱাৰী অনুপমা সুন্দৰী উষাদেৱীক দেশাচাৰ আৰু ধৰ্ম্মাচাৰ অনুসাৰে সংকৃতা কৰি পৰম প্ৰীতি অনুভৱ কৰিলে। সদৌশেহত সখীসকল আৰু পুৰনাৰীগণে আচাৰানুগত মঙ্গল-বিধানেৰে আদৰৰ ন বোৱাৰী শোভনা উষাদেৱীক যথাসংকাৰ কৰি সুগহীন গমনেৰে অগ্ৰসৰ কৰাই নি, সকলোটিয়ে আনন্দত উৰুলীকৃত হৈ কুমাৰ অনিৰুদ্ধৰ ভৱনত প্ৰৱেশ কৰালেগৈ।[3]

উষা-আদৰণীৰ পিচদিনা যাদৱ ৰাজচ'ৰাত যথাৰীতি মহা সমাৰোহেৰে জ্ঞাতি-মেল বহিল। মেলত কৃষ্ণাগ্ৰজ বলৰাম, কৃষ্ণনন্দন প্ৰদ্যুম্ন আৰু দেৱৰ্ষি নাৰদৰ মুখে সহস্ৰ অস্ত্ৰধাৰী মহাসুৰ ভৈৰৱভক্ত ভৈৰৱীনন্দন[4] হৰসদৃশ্ বীৰ্য্যৱন্ত বলিতনয় দুৰ্জ্জয় মহাবীৰ বাণ-নৰপতিৰে সৈতে অদ্ভুত আৰু অসাধাৰণ ৰণ-কৌশলী মহাবল ভূতাত্মা শ্ৰীহৰি

---

(১) যাদৱবাহিনীয়ে গৰুড়-বাহনেৰে দ্বাৰকাৰপৰা শোণিতপুৰলৈ যাত্ৰা কৰিছিল। গতিকে, ওলটা-যাত্ৰাতো সেই বাহনতে চৰি সিবিলাকে আকাশী পথ অতিক্ৰম কৰিছিল। ইতিপূৰ্ব্বৰ টীকাত উনুকিয়াই অহা হৈছে যে, গৰুড় পক্ষী যে কেৱল কৃষ্ণবাহনৰ অৰ্থে এটি হে আছিল এনে নহয়, সেই জাতীয় পক্ষী সেই কালত সেই অঞ্চলত অলেখ আছিল। সৃষ্টিৰ ক্ৰমোবিনাশৰ গতিত ক্ৰমাৎ সঁচ মৰি আহি এতিয়া তাৰ অস্তিত্ব লোপ পাইছে।

(২) শঙ্খ-ঘণ্টা-ডবা-বীণা-বংশী এই পঞ্চনাদনৰ পঞ্চসুৰ মিলিত এবিধ অদ্বিতীয় বাদ্য, ই কেৱল কৃষ্ণ-আগমন-প্ৰত্যাগমনৰ সংজ্ঞা স্বৰূপে ব্যৱহৃত হৈছিল।

(৩) হৰিবংশ, ১৮০ আধ্যা।

(৪) ইতিপূৰ্ব্বতে উনুকিয়াই অহা হৈছে যে, শিৱভক্ত মহাযোগী বাণ ৰজাই অদ্ভুত যোগ-তপস্যাৰ বলেৰে শিৱানী ভৈৰৱী দেৱী পাৰ্ব্বতীৰ পুত্ৰত্বৰ আখ্যা লাভ কৰিছিল।

যদুমণি শ্ৰীকৃষ্ণদেৱে 'হৰিহৰ-ৰণ'ৰ সামৰণত কিৰূপে সাম্য-মূৰ্ত্তি ধাৰণ কৰিছিল, তাৰ স্বৰূপ বৰ্ণনা শ্ৰৱণ কৰি সভাস্থ সমস্ত সামাজিক লোক স্তম্ভিত আৰু পুলকিত হল। তাৰ পাচত, যাদৱৰাজ মহাবাহু আহুকে আনন্দ-উলাহত উৎফুল্লীকৃত প্ৰাণেৰে সদৌ যাদৱবৰ্গ আৰু দ্বাৰকাবাসীৰ হৈ অশেষ ধন্যবাদ প্ৰদান কৰি মহাদ্যুতি শ্ৰীকৃষ্ণদেৱক এই বুলি সম্বোধন কৰিলে,—"হে যদুসিংহ! তুমি সুদূৰৈ মায়াপুৰ কামৰূপৰ অন্তৰ্গত শোণিতপুৰলৈ যৎসামান্য ৰণবলেৰে যাত্ৰা কৰি, অক্ষয় ৰণবলসম্পন্ন দুৰ্জ্জয় বাণ ৰজাক জয় কৰি, কুমাৰ অনিৰুদ্ধক উদ্ধাৰ কৰি নিৰ্ব্বিঘ্নে প্ৰত্যাগত হোৱা দেখি আমি সকলোটিয়ে স্বৰ্গসুখ অনুভৱ কৰিছোঁ, আৰু তোমাৰ গৌৰৱত গৌৰৱান্বিত হৈছোঁহঁক। এতিয়া শুভদিনত, শুভক্ষণত, শুভলগ্নত তোমাৰ নাতি-কোঁৱৰ প্ৰদ্যুম্ননন্দন অনিৰুদ্ধ কুমাৰৰে সৈতে অনুপমা সুন্দৰী বাণ-নন্দিনী উষাদেৱীৰ উদ্বাহ উপলক্ষে মহোৎসৱৰ আয়োজন কৰা। অৱশ্যে, ইতিপূৰ্ব্বতে গান্ধৰ্ব্ব আৰু বীৰ্য্যাক্ষ বিবাহৰ দ্বাৰাই কুমাৰ-কুমাৰীক দাম্পত্য সূত্ৰেৰে বিধিবদ্ধ কৰা হৈ গৈছে; তথাপি লোকৰঞ্জনাৰ্থে দেশাচাৰ অনুসৰি উদ্বাহ-ক্ৰিয়া সম্পাদন কৰি সদৌ দ্বাৰকাবাসীক অনুপম আনন্দ উপভোগ কৰিবলৈ এটি সোণাময় ছেগ দিয়াটো একান্ত বাঞ্ছনীয় বোধ কৰোঁ। লগতে ইয়াকো প্ৰস্তাৱ কৰোঁ যে, উষাসঙ্গিনী কুম্ভাণ্ডৰ জীয়াৰী প্ৰজ্ঞা সুন্দৰীক শাম্ব কোঁৱৰলৈ বিবাহ দি, বাকী উষাসহচৰী শোণিতপুৰীয়া কুমাৰীসকলক যথাযোগ্যানুসাৰে যাদৱ কোঁৱৰসকলৰে সৈতে বিধিমতে বিবাহিতা কৰা হওক। তোমাৰ কুললক্ষ্মী নাতি-বোৱাৰী উষাদেৱী সখী পৰিবৃতাকৈ শোণিতপুৰৰ মহাভৈৰৱী শিৱানী দেৱীৰ দ্বাৰাই প্ৰেৰিত হৈছে, গতিকে প্ৰস্তাৱিত উদ্বাহ সম্পাদনেৰে 'হৰিহৰ-ৰণ'ৰ পৰিণাম স্বৰূপ শৈৱ-বৈষ্ণৱ সম্মিলন সংঘটিত হওক, আৰু তদ্দ্বাৰাই এই ভাৰতবৰ্ষৰ অতিপূবৰপৰা অতিপছিমলৈ শৈৱ-বৈষ্ণৱৰ প্ৰতিপত্তি বিস্তাৰিত হওক।"

যাদৱৰাজ আহুকৰ উপদেশ শিৰোধাৰ্য্য কৰি, ভগৱান শ্ৰীকৃষ্ণদেৱে অনতিপলমে উষা-উদ্বাহ আৰু তাৰ আনুষঙ্গিক প্ৰস্তাৱিত বিবাহক্ৰিয়া সম্পাদন কৰি সদৌ দ্বাৰকাবাসীৰ মনোৰঞ্জন কৰিলে। ইত্যৱকাশত অদ্ভুত কৰ্ম্মবীৰ আদৰ্শ পুৰুষ শ্ৰীকৃষ্ণদেৱে কৰ্ম্মময় জীৱনৰ একাধ্যা সামৰি উশাহ সলাবলৈ এটি ছেগ গ্ৰহণ কৰিলে। সদৌশেহত, সকলো শুভকাৰ্য্য সম্পাদনৰ অন্তত, উষাদেৱীৰ প্ৰাণসখী বুদ্ধিমতী বিচিত্ৰা চিত্ৰলেখাই এটি বিচিত্ৰ বিচ্ছেদৰ ছেদ আঁকি থৈ, দ্বাৰকাৰপৰা স্বস্থান শোণিতপুৰলৈ প্ৰত্যাগমন কৰিলে। স্নিগ্ধ উষা-জেউতিৰ প্ৰভাৱত দ্বাৰাৱতী শান্তিধাম যেন শাঁত হল।[১]

সপ্তম আধ্যা

কুৰুক্ষেত্ৰলৈ শ্ৰীকৃষ্ণৰ পুনৰাগমন

কৰ্ম্মাৰতাৰ শ্ৰীকৃষ্ণদেৱে কৰ্ম্মছেদত উশাহ এৰে, কিন্তু আকৌ উশাহ সলাবলৈ আজৰি নাপায়। এটা চিন্তাৰ পাৰ পাওঁতে-নাপাওঁতেই তেওঁক আন এটা চিন্তাই পায়হি। এটা কাৰ্য্যৰ সামৰণি পৰোঁতে-নপৰোঁতেই তেওঁ আন এটা কাৰ্য্যত হাত দিব লগাত পৰে। এটা সমস্যা পাৰ হওঁতে-নহওঁতেই তেওঁৰ আগত আন এটা সমস্যা উপস্থিত হয়হি। সুদূৰৈ শোণিতপুৰত হৰিহৰ-ৰণত দুৰ্জ্জয় বাণ ৰজাক জয় কৰি আহি দ্বাৰকাত উষা-উদ্বাহ ক্ৰিয়া সম্পাদন কৰি উঠোঁতে-নুঠোঁতেই পাণ্ডৱ-শিবিৰৰপৰা আহি কুৰুক্ষেত্ৰলৈ তেওঁত পুনঃ আহ্বান পৰিলহি। শ্ৰীকৃষ্ণৰ দিহা-পৰামৰ্শ মতেই তেতিয়ালৈকে কুৰুক্ষেত্ৰ-মহাৰণৰ আৰম্ভণ হোৱা নাই, শ্ৰীকৃষ্ণৰ অবিহনে ধৰ্ম্ম-যুধিষ্ঠিৰে ৰণ-আৰম্ভণৰ আজ্ঞা নিদিয়ে। কিন্তু, আনহাতে শত্ৰুপক্ষৰ আস্ফালন অসহনীয় হৈ উঠিছে, কৌৰৱে অবাচ্য বচনেৰে পাণ্ডৱৰ ক্লীৱতা বৰ্ণাই সিবিলাকক গৰিহণা দিব লাগিছে। আন কি, বিনাযুদ্ধে জয়লাভ ঘোষণা কৰিবলৈ কৌৰৱ পক্ষ উত্ৰাৱল হৈ উঠিছে। এনে অৱস্থাত, উপায়ান্তৰ হৈ, শ্ৰীকৃষ্ণৰ সমীপলৈ কটকী

(১) 'হৰিবংশ', ১৮৪ আধ্যা

পাচিব লগা হোৱাত, ধৰ্মৰাজ যুধিষ্ঠিৰে অগত্যা কনিষ্ঠ পাণ্ডৱ এজনক দ্বাৰকালৈ পঠিয়ালে। কুৰুক্ষেত্ৰ-ৰণৰ সমস্যা তেওঁৰ মনত সততে জাগৰিত হৈ আছিলেই; পাণ্ডৱ কটকীৰ মুখে সেই উপস্থিত সমস্যাৰ বিষয়ে অৱগত হৈ শ্ৰীকৃষ্ণদেৱে অনতিপলমে কুৰুক্ষেত্ৰলৈ যাত্ৰা কৰিলে।

যথাসময়ত শ্ৰীকৃষ্ণ পাণ্ডৱ শিবিৰত প্ৰত্যাগত হলহি। শ্ৰীকৃষ্ণৰ উপস্থিতিত পাণ্ডৱ পক্ষীয় প্ৰত্যেক যোদ্ধাৰ প্ৰাণ নতুন সাহ নতুন বল নতুন আশাত উদ্দীপ্ত হল। ডবা, ঘণ্টা, শঙ্খ, বীণা, বংশী পাঞ্চজন্য বাদনৰ ধ্বনিৰে কৃষ্ণ-প্ৰত্যাগমন সংবাদ নিনাদিত হল। তাৰ পাচত, পাণ্ডৱ চতুষ্টয় আৰু দ্ৰুপদ, বিৰাট, সাত্যকি প্ৰমুখ্যে পাণ্ডৱ পক্ষীয় প্ৰধান সেনাপতিসকলৰে সৈতে সকৃষ্ণ পৰামৰ্শ কৰি যুদ্ধকৰ্ত্তা ধৰ্ম্মৰাজ যুধিষ্ঠিৰে কুৰুক্ষেত্ৰৰ মহাৰণ যথাবিধি ঘোষণা কৰিলে। সেই অনুসৰি, পাণ্ডৱ সাৰথি শ্ৰীকৃষ্ণদেৱৰ দিহা-মতে ৰণ-আহ্বানাৰ্থে কৌৰৱ শিবিৰলৈ দূত প্ৰেৰিত হল। তাৰ লগে লগে ইফালে কুৰুক্ষেত্ৰ-যুদ্ধ-যাত্ৰালৈ পাণ্ডৱ-বাহিনীয়ে সষ্টম হবলৈ ধৰিলে।

ৰণপণ্ডিত শ্ৰীকৃষ্ণদেৱৰ দিহামতে পাণ্ডৱবাহিনী[1] এই সাত জন সেনাপতিৰ অধীনত বিভক্ত হল; যেনে,—দ্ৰুপদ, বিৰাট, সাত্যকি, ধৃষ্টদ্যুম্ন, চিকিতন, শিখণ্ডী আৰু ভীম। ইবিলাকৰ ভিতৰত দুৰ্জ্জয় যোদ্ধা ধৃষ্টদ্যুম্নক সবাতোধাই সেনাপতি আৰু মহাবাহু ভীমসেনক দুৱলীয়া ধাই সেনাপতিৰ বাব দিয়া হয়। উল্লিখিত সাতজনৰ নামনাচত অজেয় যোদ্ধা অমিত তেজস্বী সুভদ্ৰানন্দন কৃষ্ণভাগিন অৰ্জ্জুনতনয় অভিমন্যু; পঞ্চপিতৃ পঞ্চপাণ্ডৱৰ সমতুল্য বীৰ দ্ৰৌপদীৰ পঞ্চনন্দন প্ৰতিবিন্ধ্য, শুতসোম, শ্ৰুতকৰ্ম্ম, শতানিক, শ্ৰুতসেন; আৰু মহাবল পিতৃ ভীমসেন সদৃশ্ অদ্ভুত বীৰ হিড়িম্বানন্দন ঘটোৎকচ্ এই সাতজন পালি সেনাপতি ওপৰত আঁচি অহা সাত ভাগ পাণ্ডৱবাহিনীত ভাগে ভাগে যথাযোগ্যৰূপে নিয়োজিত হয়। স্বয়ং শ্ৰীকৃষ্ণ-সাৰথিযুত মহাৰথ অৰ্জ্জুন দ্বৈৰথ যুদ্ধৰ অৰ্থে আচুতীয়া হৈ ৰয়।

অষ্টম আধ্যা

কুৰুক্ষেত্ৰ-যুদ্ধ-যাত্ৰা

শ্ৰীকৃষ্ণদেৱৰ দিহা অনুসৰি, পাণ্ডৱ পক্ষপৰা ৰণ-আহ্বান হোৱাৰ পাচত, ৰণকৰ্ত্তা ধৰ্ম্মৰাজ যুধিষ্ঠিৰে যুদ্ধ-যাত্ৰাৰ অৰ্থে সক্ষম হবলৈ পাণ্ডৱ-বাহিনীৰ মাজত ৰণনীতি অনুযায়ী আদেশ ঘোষণা কৰিলে। সেইমতে, পাণ্ডৱ-সেনাপতিসকল সষ্টম হৈ নিজ নিজ বিভাগীয় ৰণবলৰ প্ৰতি সষ্টম হবলৈ আদেশ প্ৰচাৰ কৰাত তৎপৰ হল। 'সাজু হোৱা' 'সষ্টম হোৱা' শবদেৰে পাণ্ডৱশিবিৰ জনজনাই উঠিল। চাওঁতে চাওঁতে, ৪০,০০০ দুকুৰি হাজাৰ বীৰ ৰাজকোৱঁৰ বিচক্ষণীয়া ৰণ-সাজেৰে সুসজ্জিত হৈ ওলাল; ৫,০০;০০,০০০ পাঁচ কোটি ৰথী, ৩০,০০,০০;০০০ ত্ৰিশ কোটি হস্তী-আৰোহী, ৬০,০০,০০,০০০ ষাঠী কোটি অশ্বাৰোহী আৰু অসংখ্যাত পদাতিৰে সৈতে সাত অক্ষৌহিণী পাণ্ডৱ সেনা-সমষ্টি যুদ্ধযাত্ৰাৰ উদ্দেশ্যে ৰণৰ বিবিধ আহিলা-পাতি অস্ত্ৰ-শস্ত্ৰ লৈ সাজু হল। হাতীৰ গৰ্জ্জন ঘোঁৰাৰ তৰ্জ্জন, ৰথৰ ঘৰ্ঘৰণত মেদিনী কঁপি উঠিল; হিয়াভেদী শঙ্খধ্বনি, গগন-স্পৰ্শী ভেৰীবোল, পৱন-কঁপোৱা ঢাক-ঢোলৰ বাদনে প্ৰতি প্ৰাণ ৰণমদত উন্মত্ত কৰি তুলিলে; বীৰবাহু বৃকোদৰৰ ভীমগৰ্জ্জন, ৰণোন্মত্ত নকুলৰ বুকু কঁপোৱা গিৰিপনি, ৰণ-পিপাসু সহদেৱৰ চকু-চমকোৱা আস্ফালনে পাণ্ডৱ-শিবিৰ তোলপাৰ কৰি তুলিলে; অজেয় ধনঞ্জয়ৰ দেৱদত্ত ৰণোদ্দীপক গাণ্ডীৱ-টঙ্কাৰ আৰু স্বয়ং নাৰায়ণৰ অৱতাৰ শাৰঙ্গপাণি শ্ৰীকৃষ্ণৰ পাঞ্চজন্য বাদনে পাণ্ডৱবাহিনীক একাগ্ৰ-চিত্ত কৰি ৰণোন্মুখীকৈ আগুৱাবলৈ ধৰিলে।

"মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন" এই মহামন্ত্ৰেৰে দীক্ষিত হৈ, সাত অক্ষৌহিণী সেনাৰ প্ৰত্যেকেই "শত্ৰুক জিনিম কিম্বা ৰণত পৰিম" এই প্ৰতিজ্ঞাৰে দৃঢ়প্ৰতিজ্ঞ হৈ চেৰে চেৰে পাৰ পেলাই পৰম উলাহেৰে ৰণক্ষেত্ৰলৈ যাত্ৰা কৰিলে। আটাইৰে আগত মহাৰথী কৃষ্ণ-সাৰথিয়ে চলোৱা অৰ্জ্জুনৰ ৰথ; আৰোহীৰে সৈতে গুৰিত ৪০,০০০ ৰথ, ২,০০,০০০

---

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, কুৰুপাণ্ডৱৰ যুদ্ধ-সজ্জা আধ্যা।

অশ্বাৰোহী, ২০,০০,০০০ পদাতি আৰু ৬০,০০০ হস্তী-আৰোহী যোদ্ধাৰে সৈতে মহাবল বিৰাট; অৰ্জ্জুনৰ ৰথৰ অনুবৰ্ত্তী হৈ সসৈন্যে দুজন ঘাই আৰু দুজন পালি সেনাপতি; বিৰাট গুৰিধৰা সেনাপতিৰ আগত সসৈন্যে দুজন ঘাই আৰু দুজন পালি সেনাপতি; আৰু সম্মাজত দুপাশে দুজন ঘাই সেনাপতি আৰু সিবিলাকৰ সোঁৱে-বাঁৱে দুজন পালি সেনাপতি সসৈন্যে গা-চোৱা; এই দিহাৰে সৈতে ৰণৰ পুঁজি, আহিলা-পাতি[১] অস্ত্ৰ-শস্ত্ৰ, আহাৰ-পাতি, গাড়ী-ঘোঁৰা, বেজ-বৈদ্য, অস্ত্ৰ-চিকিৎসক আদি লগত লৈ, যুদ্ধকৰ্ত্তা ধৰ্ম্মৰাজ যুধিষ্ঠিৰে স্বয়ং মহাসমাৰোহেৰে কুৰুক্ষেত্ৰলৈ যুদ্ধযাত্ৰা কৰিলে। তাৰ পাচত, যথা সময়ত কুৰুক্ষেত্ৰত উপনীত হৈ, তাৰ মুকলি সুচল সমথল এভাগত পূৰ্ব্বমুৱাকৈ হিৰণ্যাৱতী নামে সৰোবৰৰ পাৰত ধৃষ্টদ্যুম্ন আৰু সাত্যকিৰ দিহামতে পাণ্ডৱ শিবিৰ প্ৰতিষ্ঠিত হল।

সিফালে ৰণ-আহ্বান পাই হস্তিনাপুৰত ৰণকৰ্ত্তা দুৰ্য্যোধনেও কুৰুক্ষেত্ৰ যাত্ৰালৈ নিজৰ ৰণবল সাজু কৰাত তৎপৰ হল। তেওঁৰ দিহা মতে, কৌৰৱবাহিনী[২] উত্তম, মধ্যম আৰু নৰমকৈ তিনি ভাগে বিভক্ত হল। তিনি সেনাবিভাগ যোগ্যতা অনুসাৰে তিনি বিধ কাৰ্য্যবিভাগত নিয়োজিত হল। প্ৰতি সেনাবিভাগত ৰথী, অশ্বাৰোহী, হস্তীআৰোহী, পদাতিক আৰু দ্বৈৰথ যোদ্ধা সমাবেশ আৰু একো-একো বিভাগত সৈন্যৰ সংখ্যানুযায়ী ঘাই আৰু পালি সেনাপতি নিযুক্ত হল। সিবিলাকৰ ভিতৰত ভীষ্ম, কৰ্ণ, দ্ৰোণ, কৃপাচাৰ্য্য, অশ্বত্থামা, জয়দ্ৰথ, ভূৰিশ্ৰবা, সোমদত্ত, বাহ্লীক, শকুনি, কৃতবৰ্ম্মা, ভগদত্ত, শল্য, মদ্ৰ, বিন্দ, অনুবিন্দ, আৰু দুৰ্য্যোধন-দুঃশাসন প্ৰমুখ্যে ধৃতৰাষ্ট্ৰৰ এশ পুত্ৰ, এই সকলেই প্ৰধান। এইসকলৰ তলে ৬০০০০ মিত্ৰ আৰু কৰতলীয়া ৰজাই পালি সেনাপতিৰ বাব গ্ৰহণ কৰে। একো-একোজন ৰজাৰ লগত এহেজাৰকৈ হাতী, একো-একো হাতীৰ লগত এশকৈ ঘোঁৰা, একো-একো ঘোঁৰাৰ লগত এশকৈ ধানুকী, একো-একো ধানুকীৰ লগত আশে-পাশে দহ জনকৈ ঢালী, আৰু অসংখ্যাত পদাতিৰে সৈতে ১১ এঘাৰ অক্ষৌহিণী সৈন্যসমষ্টিৰে সৈতে কৌৰৱবাহিনী যুদ্ধযাত্ৰাৰ অৰ্থে প্ৰস্তুত হল। শঙ্খ, ভেৰী, ঢাক-ঢোলৰ বাদন, হয়-হস্তীৰ চিৎকাৰ, অস্ত্ৰ-শস্ত্ৰৰ ঝঞ্ঝনি শবদে হস্তিনাপুৰত তোলপাৰ লগাই তুলিলে।

ইতিমধ্যত দুৰ্য্যোধনে পিতামহ ভীষ্মদেৱক সবাতোঘাই সেনাপতিৰ বাব গ্ৰহণ কৰিবলৈ অনুৰোধ কৰেগৈ। ভীষ্মদেৱে সেই অনুৰোধ ৰক্ষা কৰি, দুৰ্য্যোধনক এই বুলি আশ্বাসৰ সমিধান দিলে, "বাৰু, সেই বাব লবলৈ মই প্ৰস্তুত আছোঁ। কাৰণ, তোমাৰ সপক্ষে যুদ্ধ কৰি তোমাক আৰু তোমাৰ ফৈদক ৰক্ষা কৰিবলৈ মই তোমাৰ প্ৰপিতামহীৰ ওচৰত প্ৰতিশ্ৰুত।[৩] মোৰ প্ৰতিজ্ঞা অটল।" ভীষ্মদেৱৰ আশ্বাসত উলাহিত হৈ দুৰ্য্যোধনে দ্ৰোণাচাৰ্য্য প্ৰমুখ্যে কৌৰৱ সেনাপতিসকলৰ প্ৰত্যেকৰ ওচৰ চাপি যথাৰীতি যোগ্যতানুসাৰে সিবিলাকক নেতাৰ বাব অৰ্পণ কৰিলেগৈ।

---

(১) লাগ বুলিলেই পোৱাকৈ ৰণৰ লাগতিয়াল সঁজুলি যুগুতকৈ নিয়া হৈছিল। তাৰ ভিতৰত এইবোৰেই ঘাই; যেনে,—ৰথৰ ঘিলা, বৰছামাৰি, যাঠীৰ দীঘল নাল, শেলৰ কালি-আগ, তীৰ-শৰ, ধেনু-কাঁড়, ধেনু-জোঁৰ, ৰচা-জৰী, আঁকুহী-বৰশী, ঢাল, তৰোৱাল, দা, কটাৰী, মিট্ট, পৰশু-কুঠাৰ, ভাপ্‌পানী মৰা পিচ্‌কাৰী, থাওক্ত ভৰোৱা গোম্, দাঁহী, ফেঁটী ইত্যাদি বিষাল সাপ, জীৰ্ণসংস্কাৰৰ সঁজুলি, ৰথ-ঢকা বাঘৰ ছাল, পতাকা ইত্যাদি।

(২) কৌৰৱবাহিনী ১১ অক্ষৌহিণী সংগৃহীত সৈন্যৰ সমষ্টি।

(৩) দুৰ্য্যোধনৰ এই গৰাকী প্ৰপিতামহী হৈছে শান্তনুৰ অন্যতম ভাৰ্য্যা সত্যৱতী। বয়োশ্ৰেষ্ঠ ভীষ্মৰ জীৱনকালত কোনো কনিষ্ঠ সন্তান ৰজা হোৱাৰ আশা নথকা হেতুকে পিতাকে সত্যৱতীক ভীষ্মৰ পিতৃ শান্তনুলৈ বিয়া দিবলৈ অস্বীকাৰ কৰে। গতিকে, সেই আপাহতে ভীষ্মদেৱে এই প্ৰতিজ্ঞা কৰে যে, তেওঁ কেতিয়াও ৰাজ-পাটত নুঠে; আৰু তেওঁৰ সতি-সন্তানেও যাতে সেই ৰাজপাটৰ প্ৰাৰ্থী হবলৈ নাপায়, সেই অৰ্থে তেওঁ আজীৱন অবিবাহিত হৈ থাকিব। তদুপৰি, তেওঁ সেই আলমতে এনে ভাৱে প্ৰতিশ্ৰুত হয় যে, সত্যৱতীৰ ভাবী পুত্ৰ-পৌত্ৰাদিৰ ৰক্ষণাৰ্থে তেওঁ সততে সিবিলাকৰ পক্ষ অৱলম্বন কৰিব। সেই হেতুকে হে ভীষ্মদেৱে ইচ্ছাৰ বিৰুদ্ধেও প্ৰাণপ্ৰতিম পাণ্ডৱৰ প্ৰাণ লবলৈ কুৰুক্ষেত্ৰ-যুদ্ধত অগত্যা অস্ত্ৰধাৰণ কৰে।

কৰ্ণৰ কাষ আটাইতকৈ শেহত চপা হয়। কাৰণ, কৰ্ণ বৰ অভিমানী বীৰ, আত্মবলৰ ওপৰত তেওঁৰ অটল বিশ্বাস। বল-বীৰ্য্যত তেওঁতকৈ চৰা কোনোবা আছে বুলি তেওঁ নামানে। গতিকে, সবাতোঘাই সেনাপতিৰ বাব লবলৈ নাপালে জানোচা তেওঁ আন কোনোবিধৰ ঘাই সেনাপতিৰ বাব লবলৈ অমান্তি হয়, আৰু সেয়ে হলে জানোবা দ্ৰোণাচাৰ্য্যয়ো সেনাপতিৰ বাব প্ৰত্যাহাৰ কৰে, সেই আশঙ্কাত কৰ্ণ বীৰৰ কাষলৈ সকলোৰে শেহত যোৱা হয়। কিন্তু, দুৰ্য্যোধনে যি আশঙ্কা কৰিছিল, সি সঁচাকৈয়ে কাৰ্য্যত ফলিয়ালে। কৰ্ণই সদৰ্পে এই বুলি সমিধান দিলে, "পাণ্ডৱ-পাঞ্চালৰ ধ্বংস কৰ্ণই আনৰ নামে সাধিবলৈ নাযায়, ছেগ পালে নিজ নামে হে সাধিব। এতেকে, ভীষ্ম জীৱিত থাকেমান মই কুৰুক্ষেত্ৰত অস্ত্ৰ নধৰোঁ, ই মোৰ অটল প্ৰতিজ্ঞা।" দুৰ্য্যোধন হতাশ হল। তথাপি, তেওঁ এই বুলি কৰ্ণক কথাৰ বান্ধ দি আহিল, "ভাল, আপোনাৰ কথাই কথা; কিন্তু আপুনি কৌৰৱ পক্ষীয় হৈ থাকিল।" কৰ্ণ-প্ৰতিজ্ঞাই পাণ্ডৱৰ হকে ভীষ্ম-প্ৰতিজ্ঞাৰ অমঙ্গল ভালেখিনি পাতলালে; কিয়নো, একে সময়তে ভীষ্ম আৰু কৰ্ণই যুদ্ধ কৰিবলৈ ওলোৱা হলে, অৰ্জ্জুনৰ পক্ষে ঠাৰিবলৈ টান পৰিলহেঁতেন। অকল সেয়ে নহয়, কৌৰৱবাহিনীয়ে যাত্ৰা কৰোঁতেই ভালেমান অমঙ্গলীয়া ঘটনা[1] ঘটিবলৈ ধৰিলে, স্বভাৱতে কৌৰৱৰ ভাগ্য অপ্ৰসন্ন হোৱা যেন বোধ হল। যি হওক, ভবিষ্যত ভাবিবৰ সময় নাই; মহা আড়ম্বৰেৰে এঘাৰ অক্ষৌহিণী সৈন্য সমষ্টিৰে সংগঠিত কৌৰৱবাহিনী কুৰুক্ষেত্ৰত নামিলগৈ। ৰণ-নীতি অনুসৰি, শত্ৰুপক্ষৰ শিবিৰৰ পোনে-পোনে মুখামুখিকৈ পছিমমুৱাকৈ কৌৰৱ শিবিৰ প্ৰতিষ্ঠিত হল।—দুয়ো পক্ষ ৰণক্ষণ[2] সাপেক্ষে লাগোঁ লাগোঁ অৱস্থাত সষ্টম হৈ ৰল।

নৱম আধ্যা

কুৰুক্ষেত্ৰ-ৰণাৰম্ভণ ঘোষণা

এপক্ষে ৭ সাত অক্ষৌহিণী আৰু ইপক্ষে ১১ এঘাৰ অক্ষৌহিণী সৈন্যৰ সমষ্টিৰে সৈতে মুঠ ওঠৰ অক্ষৌহিণী সৈন্য-সামন্তৰ সমুখ-সংগ্ৰামলৈ সষ্টম। দুয়োপক্ষে ৰণাৰম্ভণৰ শুভক্ষণ পূৰ্ণিমা-তিথিলৈ উত্ৰাৱল চিতেৰে ক্ষণ গণিব লাগিছে। পছিমপ্ৰান্তৰ সাত অক্ষৌহিণী পাণ্ডৱ সৈন্যক পূবপ্ৰান্তৰ এঘাৰ অক্ষৌহিণী কৌৰৱসৈন্যে গৰাহ মাৰি ধৰিবলৈ তৰ্জ্জন-গৰ্জ্জন আৰু আস্ফালনেৰে ৰণভূমি কঁপাব লাগিছে। পূব প্ৰান্তৰ এঘাৰ অক্ষৌহিণী কৌৰৱসেনাক মোহাৰি পেলাবলৈ পছিমপ্ৰান্তৰ সাত অক্ষৌহিণী পাণ্ডৱ সেনা উত্ৰাৱল হব লাগিছে। ভীমসেনত বাজে কিন্তু আন চাৰি পাণ্ডৱ বীৰ স্থিৰ আৰু চিন্তাযুত। বিশেষকৈ, ধৰ্ম্মৰাজ যুধিষ্ঠিৰ আৰু মহাৰথ অৰ্জ্জুন উদাস আৰু চিন্তিত।

ৰণাৰম্ভণলৈ ক্ষণ যিমানেই কাষ চাপি আহিল, ধৰ্ম্মপ্ৰাণ ৰজা যুধিষ্ঠিৰৰ কোমল অন্তৰ সিমানেই ব্যথিত হবলৈ ধৰিলে। শেহান্তৰত, ঠিক মুৰামুৰি সময়ত, তেওঁ এই বুলি আক্ষেপ কৰিবলৈ ধৰিলে, "হায়! যি অপায় এৰাবৰ অভিপ্ৰায়ে মই প্ৰাণপ্ৰতিম ভাই-ভাৰ্য্যা সমন্বিতে ১২ বাৰ বছৰ বনবাস খাতি অশেষ দুখ-কষ্ট ভোগ কৰিলোঁ, আৰু যি অমঙ্গল খণ্ডাবৰ অৰ্থে এবছৰ সুকঠিন অজ্ঞাতবাস খপি অসহনীয় মনস্তাপ সহিলোঁ, সেই অপায়-অমঙ্গলেই আকৌ আমাক মেৰাই ধৰিছে। অহ, আপোন বংশ-কুটুম্বৰ লগত এতিয়া ৰণ কৰোঁ কোন্ সতে? নিজৰ পিতৃবা-পিতামহ, ভাতৃ-বংশধৰ আদিক বধি জয়লাভ কৰি কি লাভ! কিন্তু, কি কৰিম, আগন্তুক ৰণ অনিবাৰ্য্য! যথাক্ষণলৈ মাথোন বাকী, ক্ষন্তেকৰ পাচতে এই মুখেই ৰণাৰম্ভণ ঘোষণা কৰিব লগাত পৰিম! যি হওক, এই বিষম ক্ষণৰ আগতে

---

(১) কৌৰৱবাহিনীয়ে যুদ্ধযাত্ৰা কৰোঁতেই আচম্বিতে প্ৰবল ধুমুহাৰ গৰ্জ্জন, মেঘৰপৰা তেজ-বৰষুণ, বিনামেঘে বজ্ৰপাত, এনাৱতাহত দোল-দেৱাল আদিৰ পতন, গাধীৰ প্ৰসৱত গৰী, কুকুৰীৰ প্ৰসৱত শিয়াল, এন্দুৰীৰ প্ৰসৱত মেকুৰী, ম'ৰাৰ কণীত কাউৰী জগা এনেবোৰ অমঙ্গলীয়া ঘটনা ঘটিছিল।—মহাভাৰত, ভীষ্মপৰ্ব্ব।

(২) মাৰ্গশীৰ্ষ মাহৰ কৃষ্ণা-পঞ্চমীত কৌৰৱ-পাণ্ডৱ ৰণ-মুখামুখি হয়। ৰণ-আৰম্ভণৰ শুভ দিন-ক্ষণ পূৰ্ণিমা-তিথিলৈ দুয়োপক্ষে উত্ৰাৱল চিতেৰে অপেক্ষা কৰে।

মোৰ সেই আত্মীয়-কুটুম্ব, পিতৃব্য-পিতামহ, ভ্ৰাতৃ-বংশধৰ-সকলৰ লগত শেষবাৰৰ নিমিত্তে সম্প্ৰীতি সাক্ষাৎ কৰি আহোঁগৈ।” এই বুলি পদব্ৰজে বিনাৰক্ষকে ফট্‌ফটীয়া পূৰ্ণিমাৰ জোনাকী সন্ধিয়া ধৰ্ম্মবল যুধিষ্ঠিৰে নিঃশঙ্ক মনেৰে শত্ৰু-শিবিৰত প্ৰৱেশ কৰিলেগৈ। ইফালে চাৰি পাণ্ডৱ মহা চিন্তাত পৰিল,—কোমল অন্তৰৰ অগ্ৰজে জানোবা আৰু কি অপায় মিলায়গৈ বুলি। তেওঁৰ কোমল দয়াৰ্দ্ৰ-চিত্তৰ কাৰ্য্যফল অনুসৰিয়েই নিজৰ ৰাজ্যধন হেৰুৱাই অশেষ লাঞ্ছনা আৰু দুৰ্গতি সহি এই বিপদত উপস্থিত হব-লগীয়া হৈছে; এতিয়া তেওঁৰ সেই কোমলতাই মহাসমৰত কি জানো কি সৰ্ব্বনাশ ঘটায়, এই চিন্তাত চাৰি ভাই বিমোৰ হল। সিবিলাকে অগত্যা চিন্তাহাৰী ভগৱান পৰম মিত্ৰ শ্ৰীকৃষ্ণক মনৰ আশঙ্কা জনালেগৈ। ধৰ্ম্মসৰ্ব্বজ্ঞান হৰি বাসুদেৱে হাঁহি মাৰি এই বুলি সিবিলাকক অভয় দান দি থলে, “কোনো সংশয় নাই, আপদত সৰকিবলৈ ধৰ্ম্মৰাজ ষ্টিৰৰ বাহ্যিক বলৰ প্ৰয়োজন নাই; তেওঁ আত্মধৰ্ম্ম-বলেৰেই নিৰাপদে উলটি আহিবগৈ।” শ্ৰীকৃষ্ণৰ আশ্বাসত বিশ্বাস কৰি চাৰি ভাই শান্ত হল। সিফালে কৌৰৱ শিবিৰত গৈ, ধৰ্ম্মৰাজ যুধিষ্ঠিৰে পিতৃব্য ৰজা ধৃতৰাষ্ট্ৰ, পিতামহ ভীষ্ম, অস্ত্ৰগুৰু দ্ৰোণ, ভ্ৰাতৃ দুৰ্য্যোধনাদি সকলোকে যথাযোগ্য সম্ভাষণ কৰি লৈ, ভীষ্মদেৱত উপস্থিত মহাৰণৰ চৰমফল বিষয়ক গোটাদিয়েক তত্ত্ব-পন্থা উপদেশ প্ৰাৰ্থনা কৰিলে। ভীষ্মদেৱে এই কেইটা কথাৰে সৈতে ধৰ্ম্মপ্ৰাণ যুধিষ্ঠিৰক চমুকৈ তত্ত্বজ্ঞান প্ৰদান কৰি বিদায় দিলে, “য’তে ধৰ্ম্ম, ত’তে কৃষ্ণ; য’তে কৃষ্ণ, ত’তে জয়ঃ।”

কৌৰৱ শিবিৰৰপৰা উলটি আহি ধৰ্ম্মৰাজ যুধিষ্ঠিৰে যথাক্ষণত যথাবিধি ৰণাৰম্ভণ ঘোষণা কৰি দিলেহি। ততালিকে পাঞ্চজন্য বাজি উঠিল; ঢাক-ঢোল, শঙ্খ-ডবা আদি ৰণ-বাদ্যৰ গা-তোলা চেৰে-চেৰে উৰুলীকৃত হৈ পাণ্ডৱ-বাহিনী ৰণ-অভিমুখে ক্ৰমাৎ আগুৱাবলৈ ধৰিলে। সিফালেও গগনভেদী জয়ধ্বনিৰে শত্ৰুৰ প্ৰাণত আতঙ্ক লগাই কৌৰৱ-বাহিনী আগুৱাই আহি নিৰ্দ্ধাৰিত সীমাত যুদ্ধাৰ্থে সম্ভেম হলহি।

দশম আধ্যা

গীতা-সৃষ্টি

যুদ্ধকৰ্ত্তা ধৰ্ম্ম-যুধিষ্ঠিৰে ধৰ্ম্মক ধিয়াই কুৰুক্ষেত্ৰ-মহাৰণৰ আৰম্ভণ যথাবিধি ঘোষণা কৰি দিলে। সেই অনুসৰি, ৰণক্ষেত্ৰত পোন্-প্ৰথমে গা-দেখা দিবলৈ পাণ্ডৱৰ ঘাই ৰণনেতা অৰ্জ্জুন পাণ্ডৱবাহিনী আৰু কৌৰৱবাহিনীৰ মুখামুখি মধ্যস্থলত অৱতীৰ্ণ হলহি। এনেতে, অৰ্জ্জুনে এই বুলি তেওঁৰ সাৰথি শ্ৰীকৃষ্ণত বিনীতভাৱে অনুজ্ঞা জ্ঞাপন কৰিলে, “সখি! ক্ষন্তেকমান মোৰ ৰথ উভয় বাহিনীৰ দোমোজাত ৰখোৱাঁচোন, চাই লওঁ মই কাৰ কাৰ লগত ৰণ কৰিব লাগিব; আৰু দুয়োপক্ষৰ সেনাপতিসকলৰ ভিতৰত কোনে কাৰে সৈতে দ্বৈৰথ ৰণ দিবলৈ সম্ভেম হৈছে তাকো চাই লওঁ।” সেই অনুজ্ঞা পালন কৰি, সাৰথি বাসুদেৱে অৰ্জ্জুনৰ ৰথ চলাই নি দুয়ো বাহিনীৰ ঠিক সম্মাজত ৰখালেগৈ। মহাৰথ পাৰ্থবীৰে ধীৰ-স্থিৰভাৱে ৰ-লাগি একান্ত মনেৰে কৌৰৱ আৰু পাণ্ডৱবাহিনীৰ সৈন্য-সামন্ত, সেনানায়কসকল আৰু আত্মীয়-কুটুম্বৰ প্ৰতি পৰম কাৰুণিক দৃষ্টিৰে চাবলৈ ধৰিলে। কুন্তীনন্দন ধনঞ্জয়ে কৌৰৱবাহিনীৰ নেতাসকলৰ মাজত দেখিলে, তেওঁৰ পৰম উপকাৰী পিতামহ ভীষ্মদেৱ, পৰম পূজনীয় শিক্ষাগুৰুদেৱ দ্ৰোণাচাৰ্য্য, সোদৰপ্ৰতিম মহাবীৰ কৰ্ণ, অগ্ৰজসম যুদ্ধকৰ্ত্তা দুৰ্য্যোধনাদি আত্মীয়-কুটুম্বসকল! আনপক্ষত পাণ্ডৱবাহিনীত পৰম পূজনীয় অগ্ৰজদ্বয় আৰু অতি চেনেহৰ অনুজযুগল, পৰম শ্ৰদ্ধেয় বৃদ্ধ শহুৰ দ্ৰুপদ ৰজা, আপদৰ বন্ধু বিৰাটৰাজ, অতি আদৰৰ বৈনাই মহাৰথ ধৃষ্টদ্যুম্ন, পৰম প্ৰিয়পত্নী দ্ৰৌপদীৰ পঞ্চনন্দন, প্ৰাণপ্ৰতিম ভতিজা হিড়িম্বানন্দন ঘটোৎকচ, প্ৰাণাধিক প্ৰিয়তম পুত্ৰ সুভদ্ৰানন্দন অভিমন্যু! এনে স্বতেজী, স্ববংশী, স্বধৰ্ম্মী, অভেদাত্মস্বৰূপ আত্মীয়-কুটুম্বৰ মাজত প্ৰতিদ্বন্দ্বিতা! ইবিলাকৰ ভিতৰত মৰামৰি-কটাকটি! তেওঁ নিজ হাতে সেই পালক পিতামহক বধিবলৈ অস্ত্ৰ ধৰিব! সেই হাতেৰেই তেওঁৰ ধনুৰ্গুৰু দ্ৰোণাচাৰ্য্যৰ বিৰুদ্ধে ধনু ধৰিব! সেই হাতেই তেওঁৰ অগ্ৰজ সোদৰ অদ্বিতীয় বীৰ কৰ্ণৰ বধক্ৰিয়া সম্পাদন কৰিব! যাৰ সিৰত

তেওঁৰে সৈতে একে তেজ প্ৰবাহিত, সেই বংশ-ভাই-বন্ধুবৰ্গৰ প্ৰতি শত্ৰুতাচৰণ কৰি তেওঁ নিজ হাতে সিবিলাকক বধ কৰিব! এনে ভাব অৰ্জ্জুনৰ মনত উতলি উঠিল। তেওঁ সকলো সংকল্প, সকলো কৰ্ত্তব্য ততালিকে পাহৰি পেলালে; এনে ৰণত প্ৰবৃত্ত নহবলৈ বুলি তেওঁ হতাশ হৈ ৰহিল।

ধৰ্ম্মক্ষেত্ৰ[১] কুৰুক্ষেত্ৰত অৱতীৰ্ণ হৈ বীৰেন্দ্ৰ কেশৰী অৰ্জ্জুন বৈৰাগ্য ভাবত বিহ্বল হৈ নিতান্ত নিৰ্ব্বলীৰ দৰে ৰণবিমুখ হৈ বহি পৰা দেখি কৰ্ত্তব্যপৰায়ণ ভগবান শ্ৰীকৃষ্ণ বিষম সমস্যাত পৰিল। গতিকে, চক্ৰীচূড়ামণি ভগবান মাধৱে আত্মজ্ঞান উপদেশৰ অৱতাৰণা কৰিলে। মানৱাত্মাত আত্মজ্ঞানৰ উদয় হলে, সত্ব-ৰজ-তম—এই তিনিগুণেই মাৰ যায়। সেই কাৰণে, সৰ্ব্বশাস্ত্ৰবিশাৰদ অদ্বিতীয় ধাৰ্ম্মিক পণ্ডিত শ্ৰীকৃষ্ণদেৱে ত্ৰিগুণাতীত হৈ কৰ্ম্মাশ্ৰমিক বাহ্য ধৰ্ম্মৰ অনুষ্ঠান আৰম্ভ কৰিলে, আৰু আত্মজ্ঞানৰ দ্বাৰাই দেহাত্ম-বুদ্ধি বিনাশ কৰি অৰ্জ্জুনত ত্ৰিগুণ মায়াবন্ধন কাটিবলৈ প্ৰয়াস পালে। সেই উদ্দেশে শান্তিপ্ৰিয় মাধৱে কৰ্ত্তব্যৰ অনুৰোধত প্ৰাণসখি অৰ্জ্জুনক এই বুলি সম্বোধন কৰিলে,—"হে অৰ্জ্জুন! উপস্থিত মহা সমস্যাত তোমাৰ অন্তৰত এই মায়া-মোহ ক'ৰপৰা আহিল? এনে মোহ, এনে সমস্যা কাচিতো ক্ষত্ৰিয়োচিত নহয়। এনে মায়াত অধৰ্ম্ম আৰু অখ্যাতি হে আছে। এতেকে, হে অৰ্জ্জুন! দুৰ্ব্বল নহবা; এনে দুৰ্ব্বলতা তোমাত সমূলি শোভা নাপায়। উঠাঁ, উঠাঁ, কৰ্ত্তব্যনাশক নীচ দুৰ্ব্বলতা নিলগ কৰি ৰণত প্ৰবৃত্ত হোৱাঁ।"

অৰ্জ্জুনে সকাতৰে এই বুলি উত্তৰ দিলে, "হে কৃষ্ণ! আত্মীয়-স্বজন, বংশ-পৰিয়াল আৰু গুৰুজনক ৰণক্ষেত্ৰত সমবেত হোৱা দেখি মোৰ সৰ্ব্বাঙ্গ অৱসন্ন হৈ পৰিছে, শোক-অনুমানত মুখ শুকাই আহিছে, গোটেই শৰীৰ কঁপিবলৈ ধৰিছে, প্ৰাণ ৰোমাঞ্চিত হৈছে; হাতৰপৰা গাণ্ডীৱ ধনু সৰি পৰিছে, আৰু গাৰ ছাল ৰমৰমাব লাগিছে।[২] হে কেশৱ! মোৰ স্থিৰেৰে ৰৱৰ শক্তি লোপ পাইছে, মোৰ মূৰ ঘূৰিব লাগিছে, মই সৰ্ব্বত্ৰতে অপায় অমঙ্গলৰ প্ৰত্যক্ষ নিদৰ্শন দেখা পাইছোঁ।[৩] উপস্থিত ৰণত আত্মীয়-কুটুম্ব-সকলক বধ কৰিলেও তাৰপৰা কোনো শুভফল লাভ হব বুলি মোৰ মনে নধৰে। হে কৃষ্ণ! মই বিজয় কামনা নকৰোঁ, আৰু ৰাজ্যভোগ সুখলৈকো মোৰ আকাংক্ষা নাই।[৪] হে গোবিন্দ! আমাৰ ৰাজ্যৰেইবা কি প্ৰয়োজন? আৰু, জীৱনধৰাৰেই বা আমাৰ ফল কি? যিহেতু, যাৰ নিমিত্তে ৰাজ্যভোগ আৰু সুখ কামনা কৰা যায়, সিবিলাকেইচোন ৰণত উপস্থিত।[৫] সৌৱা মোৰ গুৰুজন, পিতৃব্যসকল, পুত্ৰগণ; সেয়া পিতামহ, শহুৰ, মোমাই, নাতি-পুতি আৰু জেঠেৰি-বৈনাই-খুলশালি প্ৰভৃতি; তদুপৰি, সমস্ত আত্মীয়-কুটুম্বাদি সকলোৱেই ধনৰ মমতা আৰু প্ৰাণৰ মায়া ত্যাগ কৰি ৰণত অৱস্থিত হৈছেহি। এতেকে, হে মধুসূদন! মোক বধ কৰিলেও সিবিলাকক বধিবলৈ মোৰ সত নাযায়![৬] পৃথিৱীৰ ৰাজত্ব হে নালাগে, ত্ৰৈলোক্য ৰাজ্যলাভাৰ্থেও ইবিলাকক মই বধ কৰিব নোৱাৰোঁ। হে জনাৰ্দ্দন! দুৰ্য্যোধনাদিক হত্যা কৰি নো আমাৰ কি সুখ হব?[৭] হে মাধৱ! দুৰ্য্যোধনাদিয়ে লোভত পাপ কৰিবলৈ উদ্যত হৈছে যদিও, আমি কুলক্ষয়-জনিত পাপ[৮] আচৰোঁ কিয়? কুলক্ষয় হলে সনাতন

(১) য'ত ধৰ্ম্মবুদ্ধিহীন লোকৰো অন্তৰত ধৰ্ম্মভাবৰ উদয় হয়, য'ত মানৱ অন্তৰত অস্ফুট ধৰ্ম্ম-প্ৰবৃত্তি প্ৰস্ফুটিত হয়, যি ঠাইৰ স্থানীয় পবিত্ৰ প্ৰকৃতিৰ প্ৰভাৱত তমগুণী পুৰুষৰ অন্তৰত সত্বগুণৰ বিকাশ হয়, সেই 'ধৰ্ম্মক্ষেত্ৰ' কুৰুক্ষেত্ৰ তাৰ ভিতৰত সবাতকৈ বিশিষ্ট। এনে হেন কুৰুক্ষেত্ৰত মহা তমোগুণী বীৰেন্দ্ৰ কেশৰী অৰ্জ্জুন উপস্থিত সমস্যাত বিচলিত হৈ বৈৰাগ্য ভাবত সত্বগুণবিশিষ্ট হোৱাটো নিচেই স্বাভাৱিক।—শ্ৰীমদ্ভাগৱদ্গীতা, প্ৰথম আধ্যা, ১ম শ্লোক,—গীতাৰ্থ সন্দীপনী।

(২) শ্ৰীমদ্ভাগৱদ্গীতা, প্ৰথম আধ্যা, ২৯ শ্লোক।
(৩) গীতা, প্ৰথম আধ্যা, ৩০ শ্লোক।
(৪) শ্ৰীমদ্ভাগৱদ্গীতা প্ৰথম আধ্যা, ৩১ শ্লোক।
(৫) গীতা, প্ৰথম আধ্যা, ৩২ শ্লোক।
(৬) গীতা, প্ৰথম আধ্যা, ৩৩ আৰু ৩৪ শ্লোক।
(৭) গীতা, প্ৰথম আধ্যা, ৩৫ শ্লোক।
(৮) প্ৰকৃততে, আত্মীয়-কুটুম্বাদিক ৰণক্ষেত্ৰত সমবেত দেখি অৰ্জ্জুন শোকমোহাচ্ছন্ন হোৱা নাই; সত্বগুণৰ প্ৰভাৱত বৈৰবুদ্ধি নাশ হোৱা হেতুকেহে তেওঁৰ হিংসাপূৰ্ণ ৰণপ্ৰবৃত্তি

কুলধৰ্ম্মসমূহ বিনষ্ট হয়;[১] আৰু কুলধৰ্ম্ম নষ্ট হলে অৱশিষ্ট সমস্ত কুল অধৰ্ম্মত অভিভূত হয়। এতেকে, হে জনাৰ্দ্দন! কুলক্ষয়জনিত পাপ দেখিও আমি তাৰপৰা নিলগ নহম কিয়? হে বৃষ্ণিকুলতিলক! শুনিছোঁ, কুলধৰ্ম্ম অধৰ্ম্মত পতিত হলে কুলনাৰীগণ ভ্ৰষ্টাচাৰিণী হয়, সেয়ে হলে, কুলত কলঙ্কস্বৰূপ বৰ্ণসঙ্কৰৰ উদ্ভৱ হয়।[২] তাৰ ফলত পিতৃ-পিতামহসকলৰ সদ্গতি নহৈ, সিবিলাকৰ স্বৰ্গীয় আত্মা ক্ৰমাৎ নৰকগামী হয়।[৩] আৰু, তাৰ ফলত কুলনাশকগণৰ জাতিধৰ্ম্ম, সনাতন কুলধৰ্ম্ম আৰু আশ্ৰমধৰ্ম্ম একেবাৰে উচ্ছিন্ন হয়।[৪] তদুপৰি, হে জনাৰ্দ্দন! শুনিছোঁ, বোলে যাৰ কুলধৰ্ম্ম আৰু জাতিধৰ্ম্ম বিনষ্ট হয়, সেইবিলাক মানৱাত্মা সৰ্ব্বতিকাল নৰকত পৰি থাকে।[৫] হায়, কি কষ্ট! আমি কি যে মহাপাপ আচৰিবলৈ উদ্যত হৈছোঁ! যিহেতু আমি ৰাজ্যসুখ-লোভত পৰি আত্মীয়বৰ্গক বধিবলৈ আগ বাঢ়িছোঁ।[৬] মোৰ মনেৰে, মোক যদি নিৰস্ত্ৰ অৱস্থাত সশস্ত্ৰ দুৰ্য্যোধনাদি ধৃতৰাষ্ট্ৰৰ পুত্ৰগণে বধ কৰে, তেন্তে সি মোৰ কল্যাণৰ অৰ্থে হে।"[৭] ইয়াকে কৈ অৰ্জ্জুনে ৰণক্ষেত্ৰত শৰ-ধনু পৰিত্যাগ কৰি শোকাকুল চিত্তেৰে ৰথৰ ওপৰত বহি পৰিলগৈ।[৮] দেখি-শুনি সকলো বিচৰ্ত্তি হল। সকলোৱেই সেই বিষম সমস্যাৰ পাৰ ক'ত তাক সূক্ষ্ম দৃষ্টিৰে মণি চাবলৈ ধৰিলে। সকলোৱেই ভাবি পালে যে, সেই অপাৰ সমস্যাৰ পাৰ কেৱল ভগৱান শ্ৰীকৃষ্ণৰ অদ্ভুত প্ৰতিভাত বাজে আন কাৰো চিন্তাশক্তিয়ে ঢুকি পোৱাটো সম্ভৱপৰ নহয়। গতিকে, সকলোৱেই অতি ব্যাকুল আৰু সন্দিহান চিত্তেৰে ভগৱান কেশৱৰ চেষ্টাচৰিতৰ প্ৰতি লক্ষ্য কৰিবলৈ ধৰিলে।[৯]

একাদশ আধ্যা

আত্মাতত্ত্ব আৰু কৰ্ত্তব্যজ্ঞান

ভগৱান শ্ৰীকৃষ্ণ মহাচিন্তাত পৰিল। মূৰকত যুদ্ধ নকৰোঁ বোলা অৰ্জ্জুনৰ খাতাং সমিচাৰে চিন্তাহাৰী ভগৱান মধুসূদনকো চিন্তাকুল কৰিলে। এনে অপাৰ সমস্যাৰ পাৰ উলিয়াবলৈ তেওঁ অভাবনীয় ভাবনা ভাবিব লগাত পৰিল। সেই উদ্দেশে তেওঁৰ মনে ত্ৰিভুবন ভ্ৰমণ কৰিবলৈ ধৰিলে। কিন্তু, ভিতৰি গভীৰ ভাবনাত মগ্ন যদিও, বাহিৰে সদানন্দ দৈৱকীনন্দন আনন্দময়। তেওঁ উলাহ লগা মৌ-মাতেৰে প্ৰাণসখি অৰ্জ্জুনক পুনৰপি এই বুলি উদগাবলৈ ধৰিলে, "হে পাৰ্থ! তুমি কাতৰ নহবাঁ। কাতৰ ভাব তোমাত শোভা নাপায়। হে শত্ৰুসন্তাপক বীৰ্য্যৱন্ত বীৰ! ক্ষুদ্ৰহৃদয়ৰ দুৰ্ব্বলতা পৰিত্যাগ কৰি ৰণলৈ গাত্ৰোত্থান কৰাঁ।"[১০] এইভাৱে বিবিধ ভাউতিৰে বাসুদেৱে বাৰম্বাৰ উদগনি দিয়াৰ ফলত, কিংকৰ্ত্তব্যবিমূঢ় অৰ্জ্জুনে অগত্যা শ্ৰীকৃষ্ণৰ ওচৰত সখিত্ব এৰি শিষ্যত্ব গ্ৰহণ কৰি 'শ্ৰেয়ঃ'[১১] উপদেশ

স্বভাৱতে শামকাটি আছিল। আৰু, সত্ত্বগুণৰ প্ৰভাৱত শত্ৰুৰ প্ৰতি মিত্ৰভাৱে চালেই ৰণলীপ্সা আপোনা-আপুনি মাৰ যায়।—কৃষ্ণানন্দস্বামীকৃত গীতাৰ্থ সন্দীপনী।

(১) গীতা, প্ৰথম আধ্যা, ৩৬—৩৯ শ্লোক।

(২) শ্ৰীমদ্ভাগৱদ্গীতা, প্ৰথম আধ্যা, ৪০ শ্লোক।

(৩) গীতা, প্ৰথম আধ্যা, ৪১ শ্লোক।

(৪) গীতা, প্ৰথম আধ্যা, ৪২ শ্লোক।

(৫) গীতা, প্ৰথম আধ্যা, ৪৩ শ্লোক।

(৬) গীতা, প্ৰথম আধ্যা, ৪৪ শ্লোক।

(৭) গীতা, প্ৰথম আধ্যা, ৪৫ শ্লোক।

(৮) গীতা, প্ৰথম আধ্যা, ৪৬ শ্লোক।

(৯) কিন্তু, কৃষ্ণানন্দস্বামীকৃত গীতাৰ্থসন্দীপনী মতে, অৰ্জ্জুনৰ ৰথ দুয়ো সেনাদলৰ মাজত অৱস্থিত কৰাৰ হেতুকে পাণ্ডৱ পক্ষীয় কেওঁ ভগৱান শ্ৰীকৃষ্ণক দেখা নাপাইছিল; কৌৰৱ পক্ষে ভগৱান শ্ৰীকৃষ্ণক সমুখতে পাইছিল সঁচা, কিন্তু অৰ্জ্জুনৰ দৰে প্ৰাণসখি ভাৱে নেদেখি শত্ৰুভাৱে দেখিছিল। গতিকে, সত্ত্বগুণৰ অভাৱত কৃষ্ণকৃত গীতা ব্যাখ্যানৰ মৰ্ম্ম সিবিলাকে উপলব্ধি কৰিব নোৱাৰিছিল, আৰু অৰ্জ্জুনে ৰণ নকৰোঁ বুলি বহা দেখি সিবিলাক আনন্দিত হৈছিল; মাথোন, সঞ্জয়ে সৰ্ব্বজ্ঞান জ্ঞানেৰে উপলব্ধি কৰি ইয়াৰ তথ্য অন্ধৰজা ধৃতৰাষ্ট্ৰক জনাই আছিল।

(১০) শ্ৰীমদ্ভাগৱত-গীতা, ২য় আধ্যা, ৩য় শ্লোক।

(১১) শ্ৰেয়ঃ উপদেশ দুবিধ; এবিধ ঐকান্তিক আৰু

প্ৰাৰ্থনা কৰিবলৈ উদ্যত হল; কিয়নো, শিষ্য হৈ জিজ্ঞাসু নহলে শ্ৰুতিসিদ্ধ নিয়মমতে উপদেষ্টাই ব্ৰহ্মবিদ্যাৰ শিক্ষা দান নকৰে। গতিকে, অগত্যা পাৰ্থবীৰে নিতান্ত নিৰ্জ্জভাৱে ভগৱান শ্ৰীকৃষ্ণত এই বুলি নিবেদন কৰিলে, "হে মাধৱ! মই অজ্ঞানজনিত নীচতাদোষত কলুষিতচিত্ত আৰু ধৰ্ম্মবুদ্ধি-বিমূঢ় হৈ তোমাত প্ৰাৰ্থনা জনাইছোঁ, যি আমাৰ মঙ্গলকৰ হব, তাকে কৰিবলৈ মোক শ্ৰেয়ঃ উপদেশ দান কৰা। মই শিষ্যত্ব গ্ৰহণ কৰি তোমাৰ শৰণাগত হৈছোঁ; তুমি মোক শ্ৰেয়ঃ সাধনৰ যথাৰ্থ উপদেশ প্ৰদান কৰা।"[১]

অৰ্জ্জুনৰ অনুৰোধ ৰক্ষাৰ্থে হৃষীকেশে[২] উপহাসৰ ছলেৰে হাহি হাঁহি দুয়ো সৈন্যদলৰ মধ্যস্থিত বিষাদগ্ৰস্ত অৰ্জ্জুনক বাঞ্ছিত শ্ৰেয়ঃ উপদেশ দিবলৈ এই বুলি আৰম্ভ কৰিলে[৩], "হে অৰ্জ্জুন! তুমি অনুশোচনাৰ অযোগ্যগণৰ কাৰণে অনুশোচনা কৰিছা; আৰু পণ্ডিতৰ দৰে কথা কৈছা, কিন্তু কাৰ্য্যত অনাত্মজ্ঞৰ চিনাকি দিছা। কিয়নো, পণ্ডিতে মৃত বা জীৱিত বন্ধুৰ কাৰণে শোক প্ৰকাশ নকৰে।"[৪] "নৰকে নিত্যং বাসঃ" এনে ভাব প্ৰকাশেৰে অৰ্জ্জুনে এহাতে দেহৰ-পৰা আত্মাক স্বতন্ত্ৰ বুলি স্বীকাৰ কৰি পাণ্ডিত্য দেখুৱাইছে, আনহাতে স্থূলদেহাৰ লগত যে সূক্ষ্মদেহা আৰু আত্মাৰ বিনাশ নহয় সেইটো বুজিও নুবুজি শোকাকুল হৈছে। সেইবাবে তেওঁ নিজক অজ্ঞান যেন বুজাইছে। ইয়াৰ পাচত, ভগৱান শ্ৰীকৃষ্ণই এটাৰ পাচত আন এটাকৈ আত্মতত্ত্ব আৰু কৰ্ত্তব্যজ্ঞান এইদৰে ব্যাখ্যা কৰি যাবলৈ ধৰিলে, "হে অৰ্জ্জুন! ইতিপূৰ্ব্বত যে মই কেতিয়াও নাছিলোঁ এনে নহয়, তুমিও যে নাছিলা সিও নহয়, এই সমবেত ভূপতিগণ যে নাছিল সেইটোও নহয়; ইয়াৰ পাচতো যে মই, তুমি আৰু এই ৰাজন্যবৰ্গ নাথাকিমহঁক তেনেও নহয়। প্ৰকৃততে আমি আগেয়েও আছিলোঁ, এতিয়াও আছোঁ আৰু আগলৈকো অটুটভাৱে বিদ্যমান থাকিম। দেহীৰ একেটা দেহাতে যেনেকৈ কৌমাৰ, যৌৱন আৰু জৰা লক্ষিত হোৱাটো আচৰিত নহয়, এটা দেহা এৰাৰ পাচত আত্মাই অন্য এটা দেহা ধাৰণ কৰাও তেনেকৈয়ে নোহোৱা-কথা নহয়; গতিকে জ্ঞানী লোকে এনে দেহা-সলনিত বিমুগ্ধ বা বিচলিত নহয়।[৫] কাৰণ, একে আত্মাই বিভুৰূপে সকলো দেহাতে বিৰাজমান। ল'ৰাকালত যি আত্মা, ডেকাকালতো সেই আত্মা, বুঢ়াকালতো সেই আত্মাই। আত্মাৰ অন্যথা নহয়।[৬] যিজনক সংসাৰত ইন্দ্ৰিয়বৃত্তি বা বিষয়ৰ স্পৰ্শে বিচলিত কৰিব নোৱাৰে, আৰু যি ধীৰলোকৰ মানত সুখ আৰু দুখ সমান, তেওঁৰেই হে ধৰ্ম্মজ্ঞানৰ বলত মোক্ষলাভৰ উপযোগী হয়।[৭] অনেকে অন্তঃকৰণৰ ক্ৰিয়াকে[৮] আত্মাৰ ক্ৰিয়া বুলি ভাবে; কিন্তু সেইটো সিবিলাকৰ ভ্ৰম। যি অসৎ তাৰ অস্তিত্ব নাই, আৰু যি সৎ তাৰ অভাব নাই; তত্ত্বদৰ্শী পুৰুষসকলে সত্যাসত্য নিৰ্ণয় এইদৰেই কৰিছে। যি আত্মা এই দৃশ্যমান জগতত পৰিব্যাপ্ত, তেওঁৰ বিনাশ নাই; এই অব্যয়ৰূপ কেৱে বিনাশ কৰিব নোৱাৰে। যি সৎ সি নিত্য, অব্যয় আৰু অনন্ত। দেহী আত্মা অবিকাৰী, অবিনাশী আৰু অপৰিচ্ছন্ন। এই নশ্বৰ দেহাসমূহ আত্মাৰ বাসস্থান মাথোন। এতেকে, হে ভাৰত! তুমি যুদ্ধ কৰা। যি আত্মাক হন্তা বুলি ভাবে, আৰু যি আত্মাক বিনষ্ট বুলি

ইবিধ আত্যন্তিক। যাৰ শুভলাভত অনিশ্চয়ত্ব আৰু লাভ হলেও তাত অস্থায়িত্ব থাকে, সেয়ে ঐকান্তিক; আৰু যি নিশ্চয় শুভদায়ক, আৰু যি শুভ কাচিতো বিকৃত নহয়, সেয়ে আত্যন্তিক।—কৃষ্ণানন্দস্বামীকৃত গীতা-সন্দীপনী; গীতা, ২য় আধ্যা, ৭ম শ্লোক।

(১) গীতা, ২য় আধ্যা, ৭ম শ্লোক।

(২) ইন্দ্ৰিয়নিয়ন্তা শ্ৰীকৃষ্ণ।—গীতা, কৃষ্ণানন্দস্বামীকৃত অন্বয়বোধিনী, ১০ম, শ্লোক।

(৩) এয়ে গীতা-সৃষ্টিৰ আঁতি-গুৰি। এইখিনিৰপৰাই প্ৰথমে ভগৱান শ্ৰীকৃষ্ণই আত্মতত্ত্ব আৰু কৰ্ত্তব্যজ্ঞান ব্যাখ্যান আৰম্ভ কৰে।

(৪) গীতা, ২য় আধ্যা, ১১শ শ্লোক।

(৫) গীতা, ২য় আধ্যা, ১২শ আৰু ১৩শ শ্লোক।

(৬) কৃষ্ণানন্দস্বামীকৃত গীতাৰ্থ সন্দীপনী গীতা, ২য় আধ্যা, ১৩শ শ্লোকৰ টিপ্পনী ব্যাখ্যা।

(৭) গীতা, ২য় আধ্যা, ১৫শ শ্লোক।

(৮) অন্তঃকৰণ:—মন, বুদ্ধি, চিত্ত আৰু অহঙ্কাৰ।

বিশ্বাস কৰে, সিবিলাক দুয়ো মতাৱলম্বীয়েই আত্মানভিজ্ঞ; কিয়নো, আত্মাই কাকো আহত নকৰে, আৰু কাৰো দ্বাৰাই আত্মা নিহত নহয়। দেহাত্মাভিমানীগণে মাথোন আত্মাৰ বিনাশ আশঙ্কা কৰে; কিন্তু আত্মা অচ্ছেদ্য, অভেদ্য আৰু সৰ্ব্বত্র স্বতন্ত্র। আত্মাৰ আচলতে জনমো নাই, মৰণো নাই, নাইবা বাৰম্বাৰ উৎপন্ন হৈ বিনাশপ্রাপ্তও নহয়। এতেকে, আত্মা জন্মৰহিত, সততে একৰূপী, বিকাৰশূন্য, অপৰিণামী; গতিকে, দেহাৰ লগতে আত্মাৰো বিনাশ নহয়। হে অৰ্জ্জুন! আত্মা যি স্থলত কোনো আকাৰ-বিকাৰৰেই[1] তল নহয়, সেই স্থলত অস্ত্রৰ দ্বাৰাই দেহা বিনষ্ট হলেও আত্মা বিনষ্ট নহয়। এতেকে, উঠা, তুমি ৰণবিমুখ নহবা। যি জনে আত্মাক অবিনাশী, নিত্য আৰু জন্ম-ক্ষয়ৰহিত বুলি জানে, হে পাৰ্থ! সেইজনে কিয় বা কেনেকৈ বা কাক বধ কৰিব? আৰু স্বয়ং উদ্যত হৈ কিয় বা কাক বধ কৰাব?[2] অৰ্থাৎ, যি জ্ঞানীলোকে সৰ্ব্ববাপী পৰমাত্মা নিজতো আৰু অপৰতো সমভাৱে বিদ্যমান বুলি জানে, তেওঁ নিজে নিজকে মাথোন কোনো সজ উদ্দেশ্যে দেহান্তৰ কৰে। তাৰপৰা পাপ নহৈ বৰঞ্চ পুণ্য হে লাভ হয়।

"হে অৰ্জ্জুন! মানুহে যেনেকৈ জীৰ্ণ বস্ত্রাদি পৰিত্যাগ কৰি নতুন বস্ত্রাদি পৰিধান কৰে, সেইদৰেই দেহধাৰী আত্মাযো জীৰ্ণ দেহ পৰিত্যাগ কৰি নতুন দেহ ধাৰণ কৰে। এতেকে, অনেক তপস্যা আৰু সৎকাৰ্য্যৰ অনুষ্ঠানৰ বলত ভীষ্মাদিয়ে যি পুণ্যতনু ধাৰণ কৰিছে, সেই তনু বৃদ্ধ বয়সত জীৰ্ণ হবলৈ ধৰিছে; গতিকে সেই পুণ্যৰ ফল স্বৰূপেই সিবিলাকে নতুন তনু লাভ কৰিবৰ সময় চাপিছে। এতেকে, এই সময়ত সিবিলাকক বধ কৰি নতুন নতুন তনু লাভলৈ বাট চপাই দিব পাৰিলে তুমি সিবিলাকৰ উপকাৰ কৰাহে হব। যদি সেয়ে হয়, এই যুদ্ধত তোমাৰ হাতত সিবিলাকৰ দেহা হে পতন হব, আত্মাৰ লেশমাত্রও ক্ষয় নহয়; কিয়নো, এই আত্মাক অস্ত্রেও কাটিব নোৱাৰে, পানীয়েও তিয়াব নোৱাৰে, জুয়েও পুৰিব নোৱাৰে, বায়ুৱেও শুকুৱাব নোৱাৰে। আত্মা কাটিব পৰা বস্তু নহয়, তিয়াব পৰা বস্তু নহয়, পুৰিব পৰা বস্তু নহয়, ই শুকুৱাব পৰা বস্তুও নহয়; ই অবিনাশী, সৰ্ব্বব্যাপী, স্থিৰ, অপৰিবৰ্ত্তনশীল আৰু অনাদি। স্বৰূপত আত্মা অব্যক্ত, অচিন্তা আৰু অবিকাৰ্য্য। ই মনৰ অগোচৰ, জ্ঞানেন্দ্রিয়ৰ অগোচৰ, আৰু কৰ্ম্মেন্দ্রিয়ৰো অগোচৰ। এতেকে, হে পাৰ্থ! এনে আত্মা বিনাশৰ মিছা আশঙ্কাত তুমি ব্যাকুল নহবা।[3]

"ইমানতো যদি আত্মাক জনমশীল আৰু মৰণশীল বুলি মানিব খোজা, তেনেহলেও, হে মহাবাহো! তুমি সেই-বাবে শোক কৰা কৰ্ত্তব্য নহয়। কিয়নো জন্মিলেই মৰিব লাগে, সেইটো ধ্রুৱপ যেতিয়া, তেনে অপৰিহাৰ্য্য বিষয়ত লাগি অনৰ্থক শোক কৰা কোনোমতেই উচিত নহয়। আৰু, যদি বাসনা পূৰ্ণ নৌ হওঁতেই কাৰো মৃত্যু হয়, তেন্তে তাৰ পুনৰ্জ্জন্ম অৱশ্যম্ভাবী। এতেকে, সেইদৰে হলেও উপস্থিত ৰণত তোমাৰ প্রিয়জনৰ মৰণ মিলিলেও শোকৰ কাৰণ নাথাকে।"[4]

"হে ভাৰত (অৰ্জ্জুন)! ভূতসকল (জীৱগণ) আদিম (জন্মৰ পূৰ্ব্বে) আৰু অন্তিম (মৰণৰ পাচত) অৱস্থাত অব্যক্ত ভাৱাপন্ন থাকে; মধ্যাৱস্থাত (জীৱদ্দশাত) ব্যক্ত থাকে। ভীষ্মাদি দেহী মাত্রৰে সেই দশা। এতেকে, মৰণ ভাবনাত শোক কৰাৰ প্রয়োজন কি? কোনোৱে আত্মাক আশ্চৰ্য্যৱৎ দেখে; কোনোৱে আত্মাক আশ্চৰ্য্যৰূপে বৰ্ণনা কৰে, কোনোৱে বা এই আত্মতত্ত্ব আশ্চৰ্য্যভাৱে শ্রৱণ কৰে, আৰু কোনোৱে বা সেই তত্ত্ব শ্রৱণ কৰিও আত্মাৰ স্বৰূপতাৰ বিষয় জ্ঞাত হবগৈ নোৱাৰে। এই অদ্ভুত পৰমাত্মা সকলো জীৱাত্মাত নিত্য আৰু অবধ্যভাৱে বিদ্যমান থাকে; এতেকে, হে ভাৰত! যেই-সেই প্রাণীৰে প্রাণনাশ হোৱা দেখি বা তাৰ আশঙ্কা মানি তুমি কাতৰ হোৱা কৰ্ত্তব্য নহয়।"[5]

---

(১) বিকাৰ:—জন্ম, অস্তিত্ব, বৃদ্ধি, বিপৰিণাম, অপক্ষয় আৰু বিনাশ।

(২) গীতা, ২য় আধ্যা, ১৬—২১ শ্লোক।

(৩) গীতা, ২য় আধ্যা, ২২—২৫ শ্লোক।

(৪) গীতা, ২য় আধ্যা, ২৬—২৮ শ্লোক।

(৫) গীতা, ২য় আধ্যা, ২৯—৩০ শ্লোক।

তাৰ পাচত, সৃষ্টি-স্থিতি-প্ৰলয়ৰ তত্ত্বভেদী সৰ্ব্বশাস্ত্ৰ-বিশাৰদ ভগৱান শ্ৰীকৃষ্ণই ধৰ্ম্মৰাজ্য স্থাপনৰ অৰ্থে পাণ্ডৱ-পক্ষীয় একমাত্ৰ বীৰ, যি অজেয় ভীষ্ম আৰু কৰ্ণক জয় কৰিব পাৰে, সেই অৰ্জ্জুনক পুনৰপি এই বুলি কৰ্ত্তব্যজ্ঞানৰ উপদেশ দিবলৈ ধৰিলে, "হে অৰ্জ্জুন! স্বধৰ্ম্মৰ ফালে চালেও তোমাৰ হৃৎকম্প হোৱাৰ কাৰণ নাই; কিয়নো, ধৰ্ম্মযুদ্ধতকৈ শ্ৰেয়ঃ কৰ্ত্তব্য ক্ষত্ৰিয়ৰ পক্ষে আন একো হব নোৱাৰে। এটা প্ৰাণী ৰক্ষা অৰ্থত আন এটা প্ৰাণী হত্যা কৰা বুজায়; সেইদৰেই ধৰ্ম্ম সাধনৰ অৰ্থে ধৰ্ম্মযুদ্ধত প্ৰবৃত্ত হোৱাটো ক্ষত্ৰিয়ৰ পক্ষে অপৰিহাৰ্য্য কৰ্ত্তব্য। হে পাৰ্থ! এনে অযাচিতে লাভ হোৱা অপনাহীন স্বৰ্গদুৱাৰ হেন ধৰ্ম্মযুদ্ধ ভাগ্যৱান ক্ষত্ৰিয়সকলৰ পক্ষে হে সম্ভৱ। বিশেষতঃ, অৱশ্যম্ভাবী উপস্থিত যুদ্ধ তোমাৰ স্বকৃত নহয়, কৌৰৱগণৰ দুষ্টবুদ্ধি আৰু উদ্যমৰ ফলত হে ই সংঘটিত হৈছে। গতিকে, এই ৰণত বিমুখ হলে তুমি কৰ্ত্তব্যৰপৰা পিছলি পৰাটো হে হব। আৰু, ভাবি চোৱাঁ, এই যুদ্ধত জয় হলে মান, গৌৰৱ, যশস্যা আৰু ৰাজ্য লাভ; আৰু পতন হলেও ধ্ৰুৱ স্বৰ্গলাভ। এতেকে, এই ধৰ্ম্মযুদ্ধত[১] পৰাঙ্মুখ হলে তোমাক কৰ্ত্তব্যহানিৰ পাপে ছুব; কিয়নো, স্বধৰ্ম্ম আৰু কীৰ্ত্তি স্বইচ্ছাৰে পৰিত্যাগ কৰিলে পাপভাগী হবলগীয়া হয়। তদুপৰি, এই ধৰ্ম্মযুদ্ধ তুমি আপোন ইচ্ছাৰে পৰিত্যাগ কৰিলে তোমাৰ কীৰ্ত্তিনাশ হব। তেতিয়া সকলোৱেই তোমাৰ অপযশ ৰটিব। হে অৰ্জ্জুন! তোমাৰ তুল্য শৌৰ্য্য, বীৰ্য্য, ধৰ্ম্মনিষ্ঠা আদি বিবিধ গুণেৰে বিভূষিত শ্ৰেষ্ঠ পুৰুষৰ পক্ষে কীৰ্ত্তিনাশতকৈ মৰণেই শ্ৰেয়ঃ। ৰণক্ষেত্ৰত অৱতীৰ্ণ হৈ এতিয়া তুমি ৰণ নিদিয়াকৈ আঁতৰি গলে, যি সকল তোমাৰ সমনীয়া মহাৰথে তোমাক মান কৰিছিল, সেই সকলেও তোমাক ভয়াতুৰ বুলি নিন্দা হে কৰিব। তাৰ দ্বাৰাই তোমাৰ বিষম লঘুতা প্ৰকাশিত হব। আৰু, দুৰ্য্যোধনাদি তোমাৰ সামৰ্থ্য হেয়জ্ঞান কৰি তোমাক উপহাস কৰিবলৈ বাকী নথয়। ইয়াতকৈ অধিক মনস্তাপ আৰু অপমান তোমাৰ পক্ষে আৰু কি হব পাৰে? ভীষ্মাদি আত্মীয়-বধৰ কষ্টতকৈও ই বেছি কষ্টকৰ হব।"[২]

শ্ৰীকৃষ্ণৰ যুক্তি অকাট্য বুলি মানিবলৈ অৰ্জ্জুন বাধ্য হল। কিন্তু, সিমানতো তেওঁ নিজৰ অন্তৰক বুজাব পৰা নাই। এহাতে গুৰুজন আৰু আত্মীয়-কুটুম্বাদিক বধ কৰা অসহনীয় ভাব, আনহাতে চক্ৰীচূড়ামণি শ্ৰীকৃষ্ণৰ অকাট্য যুক্তি! অৰ্জ্জুন কিংকৰ্ত্তব্যবিমূঢ়! এনে সমস্যাৰপৰা উদ্ধাৰ কৰাৰ উদ্দেশ্যে ভগৱান বাসুদেৱে পুনৰপি অৰ্জ্জুনক এই বুলি উদগনিৰ বুজনি দিলে, "হে কুন্তীনন্দন! তুমি বিমোৰ নহবাঁ। মই ইয়াৰ আগেয়েই কৈ আহিছোঁ যে, উপস্থিত ধৰ্ম্মযুদ্ধত তোমাৰ মৰণ মিলে যদি তোমাৰ স্বৰ্গলাভ নিশ্চয়, আৰু জয়ী হব পাৰাঁ যদি তোমাৰ নিষ্কণ্টক ৰাজ্যলাভ। দুয়োহাতে তোমাৰ মঙ্গল। এতেকে, শোক, চিন্তা আৰু সংশয় পৰিত্যাগ কৰি, তুমি স্থিৰনিশ্চয় হৈ ৰণৰ উদ্দেশে গাত্ৰোত্থান কৰাঁ।"[৩] কিন্তু সিমানতো অৰ্জ্জুনক চিন্তিত দেখি, ভগৱান দৈৱকীনন্দনে আপোনাৰ শিষ্য-সখি কুন্তীনন্দনক অনতিপলমে চৰম কৰ্ত্তব্যজ্ঞান জ্ঞাপন কৰিলে, 'সুখদুঃখে সমে কৃত্বা লাভালাভৌ জয়াজয়ৌ। ততো যুদ্ধায় যুজ্যস্ব নৈবং পাপমবাপ্স্যসি॥' অৰ্থাৎ, সুখ আৰু দুখ, লাভ আৰু অলাভ, জয় আৰু পৰাজয় সবাৰকে সমভাৱে চাই লৈ, তাৰ পাচত তুমি যুদ্ধত প্ৰবৃত্ত হোৱাঁ, তাৰ বাবে তুমি পাপভাগী হব নালাগিব। মুঠতে, তুমি সুখৰো কামনা নকৰিবাঁ, দুখৰ আশঙ্কাতো সঙ্কুচিত নহবাঁ; যুদ্ধত যে তোমাৰ লাভ হব সেইটোও নাভাবিবাঁ, অলাভ যে হব তাকো মনলৈ নানিবাঁ; আৰু উপস্থিত মহাৰণত যে তোমাৰ জয় তাকো আশা নকৰিবাঁ, পৰাজয় যে হব তাকো মনত ঠাই নিদিবাঁ। সেয়ে হলেই গুৰুজন আৰু জ্ঞাতিবধৰ পাপে তোমাক নাপায়।"[৪]

---

(১) ধৰ্ম্মযুদ্ধৰ ঘাই লক্ষণ:—ৰথবিহীন যোদ্ধাক ৰথীয়ে আহত নকৰে; নঙঠা, নপুংসক, ৰোগী, শৰণাগত, অস্ত্ৰবিহীন, যুদ্ধদৰ্শনাৰ্থী, যুদ্ধপৰীক্ষক, ভয়াতুৰ আৰু পলৰীয়াৰ প্ৰতি ৰথীয়ে অস্ত্ৰ প্ৰহাৰ নকৰে।

(২) গীতা, ২য় আধ্যা, ৩১—৩৬ শ্লোক।

(৩) গীতা, ২য় আধ্যা, ৩৭ শ্লোক।

(৪) গীতা, ২য় আধ্যা, ৩৮ শ্লোক।

দ্বাদশ আধ্যা

নিষ্কাম কৰ্ম্মযোগ

আত্মজ্ঞান ব্যাখ্যান শুনি অৰ্জ্জুনৰ সম্যক্ চেতনা হোৱা নাই যেন জানি, ভগৱান শ্ৰীকৃষ্ণই তেওঁক পৰমাত্মাতত্ব-জ্ঞান আয়ত্ত কৰাবৰ অৰ্থে নিষ্কাম কৰ্ম্মযোগৰ ব্যাখ্যা শুনাবলৈ পুনৰপি এই বুলি আৰম্ভ কৰিলে, "হে পাৰ্থ! তোমাক আত্ম-তত্ব আৰু কৰ্ত্তব্য-জ্ঞানৰ উপদেশ যি হয় শুনালোঁ, এতিয়া কৰ্ম্মযোগ ব্যাখ্যা কৰোঁ, শুনিবা। ইয়াক আয়ত্ত কৰিব পাৰিলে, কৰ্ম্মবন্ধৰপৰা তুমি মুক্ত হবা। এই ব্যাখ্যাত নিষ্কাম কৰ্ম্মযোগৰ ব্যাখ্যা কৰা হব, এই নিষ্কাম কৰ্ম্মযোগৰ ফল কেতিয়াও নেহেৰায়। ইয়াত পাপৰ সঞ্চাৰ নাই, এই মহাধৰ্ম্মৰ যৎকিঞ্চিৎ লাভ হলেও মহাভয়ৰপৰা ৰক্ষা পোৱা যায়। হে কুৰুনন্দন অৰ্জ্জুন! এই কৰ্ম্মযোগত কেৱল আত্মতত্বনিশ্চয়াত্মিকা বুদ্ধি থাকে, সকাম কৰ্ম্মযোগীগণৰ বুদ্ধি বহুশাখাবিশিষ্ট হয়, আৰু সি অনন্তৰূপ ধাৰণ কৰে। সকাম আৰু নিষ্কাম কৰ্ম্মৰ বিভিন্নতা এই যে, সকাম কৰ্ম্মৰ অনুষ্ঠানত ফললাভৰ আশঙ্কা বলৱৎ থকা হেতুকে বুদ্ধি চঞ্চল আৰু বিবিধ ভাবনাত বিয়াকুল হয়, কিন্তু নিষ্কাম কৰ্ম্মানুষ্ঠানত ভগৱান্নিষ্ঠা হেতুকে বুদ্ধিৰ নিৰ্ম্মলতা আৰু একাগ্ৰতা বৃদ্ধি পায়, আৰু সেই নিৰ্ম্মলা বুদ্ধি তত্বজ্ঞানৰ অনুগামিনী হয়।"[১]

বেদবাক্যৰ সূক্ষ্মতত্ব উপলব্ধি নোহোৱাৰ কাৰণে সকাম পুৰুষৰ অন্তৰত ভগৱানৰ প্ৰতি একনিষ্ঠা বুদ্ধিৰ সম্যক্ উদয় নহয়। বেদোক্ত অগ্নিহোত্ৰাদি ক্ৰিয়াকলাপ চিত্তশুদ্ধিৰ অৰ্থে হোৱা হে কৰ্ত্তব্য, স্বৰ্গাদি ভোগাৰ্থে হোৱা অনুচিত। নিষ্কাম পুৰুষে সেই ক্ৰিয়া-কলাপেৰে চিত্তশুদ্ধিৰ দ্বাৰাই আত্মতত্বজ্ঞান লাভ কৰে[২]। এই জটিল বিষয়ৰ বিশদ ব্যাখ্যা শুনোৱাৰ অভিপ্ৰায়ে ভগৱান শ্ৰীকৃষ্ণই ঘূৰিবাৰ অৰ্জ্জুনক এই বুলি সম্বোধন কৰিলে, "হে পাৰ্থ! সুবিচাৰ আৰু সদ্বিবেচনাশূন্য লোকে বেদোক্ত কৰ্ম্মকাণ্ডৰ কথা যি ভাৱে গ্ৰহণ কৰে, সি ৰঙা মদাৰ ফুলৰ ৰূপগ্ৰহণৰ তুল্য হে। যিবিলাক বৈদিক ফলশ্ৰুতিৰ অনুগামী, বেদোক্ত ক্ৰিয়া-কলাপত ফললাভৰ আশা যাৰ প্ৰবল, যি স্বৰ্গলাভ সুখৰ বাহিৰে বেদবাণীত আন উদ্দেশ্য নাৰাখে সিবিলাক কামনাযুত সকাম পুৰুষ। ভোগ আৰু ঐশ্বৰ্য্যত অনুৰক্ত এই সকাম পুৰুষৰ অন্তৰত একাগ্ৰনিষ্ঠাৰূপ সমাধি, অৰ্থাৎ নিশ্চয়াত্মিকা বুদ্ধিৰ সম্যক উদয় নহয়[৩]।

"হে অৰ্জ্জুন! কৰ্ম্মকাণ্ডৰূপ বেদসমূহ ত্ৰিগুণান্বিত[৪]; কিন্তু মোৰ উপদেশ, তুমি নিষ্কাম (নিস্ত্ৰৈগুণ্যঃ) হোৱা; তুমি সুখ-দুখাদি দ্বন্দ্বৰহিত, নিত্য সত্বভাবত অৱস্থিত[৫], যোগ আৰু ক্ষেমবিৰহিত[৬] হৈ আত্মবান্[৭] হোৱা। অৰ্থাৎ, সুখ-দুখ, মান-অপমান, শত্ৰু মিত্ৰাদি দ্বন্দ্বভাব পৰিত্যাগ কৰি বিশুদ্ধ সত্বৰূপ অচল ধৈৰ্য্য ধাৰণ কৰা। যিহেতু নাদ, পুখুৰী আদি ক্ষুদ্ৰ জলাশয়ৰ পানীৰে যি পৰিমাণে প্ৰয়োজন সিদ্ধ হয়, মহা জলাশয়তো কৰ্ম্মকাণ্ডৰ প্ৰয়োজন (স্বৰ্গ-লাভাদি কামনা) ব্ৰহ্মবেত্তা বা আত্মাবান্ পুৰুষৰ

---

(১) গীতা, ২য় আধ্যা, ৩৯—৪১ শ্লোক।

(২) কৃষ্ণানন্দস্বামী ব্যাখ্যাত গীতাৰ্থ সন্দীপনী, গীতা, ২য় আধ্যা, ৪২—৪৪ শ্লোক।

(৩) গীতা, ২য় আধ্যা, ৪২—৪৪ শ্লোক।
যামিমাং পুষ্পিতাং বাচং প্ৰবদন্ত্যবিপশ্চিতঃ।
বেদবাদৰতাঃ পাৰ্থ নান্যদস্তীতিবাদিনঃ॥ ৪২
কামাত্মনঃ স্বৰ্গপৰা জন্মকৰ্ম্মফলপ্ৰদাম্।
ক্ৰিয়াবিশেষবহুলাং ভোগৈশ্বৰ্য্যগতিং প্ৰতি॥ ৪৩
ভোগৈশ্বৰ্য্য প্ৰসক্তানাং তয়াপহৃতচেতসাম্।
ব্যবসায়াত্মিকা বুদ্ধিঃ সমাধৌ ন বিধীয়তে॥ ৪৪

(৪) সত্ব, ৰজঃ, তমঃ—এই তিনি গুণ। সংসাৰ এই তিনিগুণৰ বিকাশস্বৰূপ। কামনাই সংসাৰৰ মূল। বাস্তৱতে কামনাৰ ফলেই সংসাৰ। সেই ফলপ্ৰাপ্তিৰ উপায় হৈছে বেদপ্ৰতিপাদিত কৰ্ম্মকাণ্ড। এই কৰ্ম্মকাণ্ডতে সকাম পুৰুষৰ স্থিতি।—৺কৃষ্ণানন্দস্বামীব্যাখ্যাত গীতাৰ্থ সন্দীপনী, ৪৫ শ্লোক।

(৫) যোগ।—অপ্ৰাপ্ত বস্তুৰ প্ৰাপ্তিক যোগ বোলে।

(৬) ক্ষেম।—প্ৰাপ্ত বস্তুৰ ৰক্ষাই ক্ষেম।

(৭) আত্মাবান্।—সৰ্ব্বত্ৰ নিত্য বিদ্যমান বিশ্বনিয়ন্তা পৰমেশ্বৰ নিজতো বিদ্যমান বুলি যাৰ স্থিৰবিশ্বাস, তেওঁৱেই আত্মাবান্।

লাভ হয়। অৰ্থাৎ, নাদৰ পানী সাগৰৰ পানীৰ কিয়দংশ মাথোন। বেদোক্ত কাম্য কৰ্ম্মসমূহে সকাম পুৰুষৰ যি প্ৰয়োজন সিদ্ধ কৰে, ব্ৰহ্মজ্ঞ বা আত্মাবান্ নিষ্কাম পুৰুষৰো সেই পৰিমাণেই সেই প্ৰয়োজন সিদ্ধ হয়।"[১] নিষ্কাম কৰ্ম্ম কৰিলে কাম্য কৰ্ম্মজনিত স্বৰ্গলাভাদি সুখৰপৰা বঞ্চিত হোৱাৰ আশঙ্কা; কিয়নো, কামনাই তাৰ মূল। কামনা নহলে ফলপ্ৰাপ্তিৰ অস্তিত্ব নাথাকে। সেই কাৰণে, অৰ্জ্জুনৰ মনৰ আশঙ্কা গুচাবৰ অৰ্থে ভগৱান শ্ৰীকৃষ্ণই নিষ্কাম পুৰুষৰ ফললাভ বিষয়ক এই বিশদ ব্যাখ্যা দিয়ে।

নিষ্কামধৰ্ম্মৰ আভাস মাত্ৰ দি, আৰু তাৰ দৃঢ় ভেটীত থিয় কৰাই লৈ অৰ্জ্জুনক ভগৱান শ্ৰীকৃষ্ণই বিশদভাৱে এই বুলি কাৰ্য্যকৰী উপদেশ দিয়ে,—"হে অৰ্জ্জুন। কৰ্ম্মত মাথোন তোমাৰ অধিকাৰ আছে; কিন্তু কৰ্ম্মফলত কেতিয়াও তোমাৰ অধিকাৰ নাই। এতেকে, ফল কামনাৰে সৈতে কৰ্ম্মত প্ৰবৃত্ত হবলৈ যেন তোমাৰ প্ৰবৃত্তি নজন্মে, আৰু কৰ্ম্ম পৰিত্যাগ কৰিবলৈকো যেন তোমাৰ ধাউতি নহয়। কিয়নো, নিষ্কাম কৰ্ম্মৰ দ্বাৰাই চিত্তশুদ্ধি লাভ হয়, আৰু চিত্তশুদ্ধিৰ দ্বাৰাই আত্মজ্ঞানৰ উদয় হয়; এই আত্মজ্ঞান নজন্মিলে ব্ৰহ্মজ্ঞান বা পৰমাত্মা লাভ নহয়। এতেকে, হে ধনঞ্জয়! তুমি যোগস্থ হৈ ফল কামনা বৰ্জ্জন কৰি, সিদ্ধি আৰু অসিদ্ধিৰ প্ৰতি সমদৃষ্টি ৰাখি (অৰ্থাৎ, তাৰ প্ৰতি আওকাণ কৰি) কৰ্ত্তব্য কৰ্ম্মৰ অনুষ্ঠান কৰা। এনে সাম্যভাৱকে যোগ বোলে। অৰ্থাৎ, হৰ্ষ-বিষাদৰ সমতাই যোগ; তুমি এই যোগত অৱস্থিত হৈ কৰ্ম্মানুষ্ঠানত ধৰা। আৰু, ইয়াকো জানিবা যে, কাম্যকৰ্ম্ম নিষ্কাম কৰ্ম্মতকৈ বহুগুণে নিকৃষ্ট; তদুপৰি ফলাকাঙ্ক্ষী কৰ্ম্মীগণে সততে কৃপণালিৰ চিনাকি দিয়ে। সিবিলাকে ফললাভৰ সামান্য কামনা বৰ্জ্জন কৰিব পাৰিলেই পৰমাত্মা লাভৰূপ মোক্ষপ্ৰাপ্ত হব পাৰে। এতেকে, তুমি পৰমাত্মা বুদ্ধিৰ আশ্ৰয় লৈ নিষ্কাম কৰ্ম্ম সাধনলৈ অগ্ৰসৰ হোৱা। আৰু জানিবা যে, পৰমাত্মজ্ঞ পুৰুষৰ মানত ইহলোকৰ পাপ আৰু পৰলোকৰ পুণ্য দুয়ো সমান; অৰ্থাৎ দুইৰো প্ৰতি তেওঁ আওকণীয়া। এতেকে, তুমি সাম্যভাৱযুত যোগৰ অৰ্থে নিষ্ঠাবান্ হোৱা; কিয়নো, কৰ্ম্মৰ ভিতৰত বুদ্ধিযুত কৰ্ম্ম-কৌশলেই আচল যোগ।"[২]

বুদ্ধিযোগপৰায়ণ পুৰুষসকলে কৰ্ম্মজনিত ফল ত্যাগ কৰি আত্মজ্ঞান লাভৰ ফলত জন্মৰূপ বন্ধনৰপৰা মুক্ত হৈ পৰমপদ লাভ কৰে। অৰ্থাৎ নিষ্কামধৰ্ম্মী লোকৰ চিত্তশুদ্ধি হলেই আত্মজ্ঞান লাভ হয়; সেয়ে হলেই সেই মানৱাত্মাই পৰমাত্মাত লয় গৈ মুক্তি বা নিৰ্ব্বাণ লাভ কৰে। এই মুক্তিপদকে বিষ্ণুৰ পৰমপদ বুলি শাস্ত্ৰয়ো কয়। আৰু, যেতিয়াই মানুহৰ জ্ঞান-বুদ্ধিয়ে অবিবেকৰূপ কলুষ বৰ্জ্জন কৰি উঠে, তেতিয়াই কৰ্ম্মফলৰ তৃষ্ণা বা কামনাৰ প্ৰতি তেওঁৰ বিৰাগ জন্মে। যেতিয়াই বিবিধ বিষয়ক[৩] ফললাভৰ শঙ্কাযুত ভাৱ আঁতৰ হৈ অন্তঃকৰণ পৰমাত্মাত নিমজ্জকৈ মজে, তেতিয়াই মানুহৰ তত্ত্বজ্ঞান লাভ হয়, অৰ্থাৎ তেতিয়া মানৱাত্মা পৰমাত্মাত লয় গৈ ব্ৰহ্মনিৰ্ব্বাণ[৪] প্ৰাপ্ত হয়।"[৫]

ভগৱান শ্ৰীকৃষ্ণৰপৰা আত্মজ্ঞান, নিষ্কাম কৰ্ম্ম, যোগ, সমাধি আৰু পৰমপদ বিষয়ক পৰমাৰ্থতত্ত্বৰ আভাস মাথোন পাই, তাৰ বিশদ ব্যাখ্যা লাভাৰ্থে অৰ্জ্জুনে সভক্তিৰে শ্ৰীকৃষ্ণত এই বুলি সুধিলে,—"হে কেশৱ! সমাধিস্থ স্থিতপ্ৰজ্ঞ ব্ৰহ্মজ্ঞানী যোগী পুৰুষৰ লক্ষণ কি?—তেওঁ কেনেকৈ কথা

---

(১) গীতা, ২য় আধ্যা, ৪৫—৪৬ শ্লোক।

(২) গীতা, ২য় আধ্যা, ৪৭—৫০ শ্লোক।

(৩) শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ—এই পাচোঁটা বিষয়। এই পাঁচোটা বিষয়ত চিত্তবৃত্তি নিৰুদ্ধ হলেই স্মৃতি, শ্ৰুতি, স্বপ্ন আৰু জাগ্ৰত অৱস্থা এৰাই ওপৰলৈ উঠা যায়। এয়ে প্ৰকৃত যোগ বা সমাধি।

(৪) বৌদ্ধধৰ্ম্মৰো চৰম লক্ষ্য হৈছে নিৰ্ব্বাণেই। পাৰ্থক্য এই মাথোন যে, বুদ্ধৰ মতে নিৰ্ব্বাণত মানুহৰ মন আৰু আত্মা পৰমাত্মাত লয় পায়। কৃষ্ণৰ মতে ব্ৰহ্মনিৰ্ব্বাণত মানৱাত্মা মাথোন পৰমাত্মাত লয় পায়। আগৰটোৰ মতে মানুহৰ মন আৰু আত্মা দুইৰো অস্তিত্ব বিলোপ হৈ পৰমাত্মাত মিলি যায়; পাচৰটোৰ মতে মানুহৰ মনৰ অস্তিত্ব লোপ পালেও আত্মাৰ অস্তিত্ব হেৰাব নোৱাৰে; সি সেই ভাগেই পৰমাত্মাত মিলি যায়। কিন্তু, সাধনা আৰু সিদ্ধি দুয়োমততে একে।

(৫) গীতা, ২য় আধ্যা, ৫১—৫৩ শ্লোক।

কয়? তেওঁ কিৰূপে অৱস্থান কৰে? আৰু, তেওঁ কি ভাৱে চলন-ফুৰণ কৰে?"[১]

অৰ্জ্জুনৰ প্ৰশ্নত উৎসাহিত হৈ শ্ৰীকৃষ্ণদেৱে পুনৰপি এই বুলি ব্যক্ত-বিষয়ক বিশদ ব্যাখ্যা আৰম্ভ কৰিলে,—"হে অৰ্জ্জুন! হে পাৰ্থ! আপোনাতে আপুনি তুষ্ট হৈ সমাধিস্থ পুৰুষে যেতিয়া নিজৰ চিত্তস্থিত কামনাবোৰ পৰিত্যাগ কৰে, তেতিয়াই তেওঁক স্থিতপ্ৰজ্ঞ বা যোগী পুৰুষ বোলা হয়। অৰ্থাৎ, যোগীপুৰুষে মানৱাত্মাক পৰমাত্মাত বিলীন কৰি পৰমানন্দ চৈতন্যৰূপ লাভ কৰে; তেওঁক মনোবৃত্তিয়ে টলাব নোৱাৰে। তেওঁ মনৰ ধৰ্ম্মৰ বাজ[২], আত্মাৰ ধৰ্ম্মবো[৩] সমতাযুত[৪] গুণৰ হে তেওঁ গৰাকী। যাৰ চিত্ত দুখ-কষ্টত অবিচলিত বা উদ্বেগশূন্য, বিষয়-সুখলৈকো যাৰ আকাঙ্ক্ষা নাই; খং, ৰাগ, ভয় ইত্যাদিয়েও যাক টলাব নোৱাৰে, সেই সিদ্ধ পুৰুষকে যোগী বা স্থিতপ্ৰজ্ঞ বোলা যায়। কামনা, সংকল্প, আসক্তি, মায়া, মোহ ইত্যাদি মনৰ ধৰ্ম্ম; সমাধিস্থ পুৰুষ মনোধৰ্ম্মৰপৰা সদায় ওপৰত। হে অৰ্জ্জুন! তুমি সম্প্ৰতি সমাধিস্থ, তোমাৰ উদ্দেশ্য আত্মজ্ঞান লাভ কৰা, সেই লাভে হে তোমাক পৰমানন্দ কৰিব। এতেকে, তুমি নশ্বৰ মনৰ দুখ-কষ্ট, মায়া-মোহ, বাঞ্ছা-কামনা আদি পৰিহাৰ কৰি নিষ্কাম কৰ্ম্ম সাধনৰ অৰ্থে আগ বঢ়া উচিত। মানুহৰ মন-প্ৰাণ অচেতন, আত্মাৰ দৰে অমৰ নহয়, গতিকে মনোধৰ্ম্ম পালনত আত্মতত্ত্ব বা ব্ৰহ্মজ্ঞান লাভ নহয়, কাৰণ দেহৰ ধৰ্ম্মাদি আত্মাত নাই। আকাশত বিজুলীৰ চমকনি যেনে, মানৱ অন্তৰত আত্মাও তেনেই। দেহাদি পদাৰ্থত যাৰ আসক্তি নাই, প্ৰিয় বা অপ্ৰিয় বস্তু পালেও বা নাপালেও যাৰ হৰ্ষ বা বিষাদ নাই, তেনেজনেই ব্ৰহ্মজ্ঞানী, তেৱেঁই যোগী, তেওঁৱেই বা তেওঁৰ অৱস্থাই মানৱাত্মাৰ চৰম লক্ষ্য। ব্ৰহ্মজ্ঞানী যোগী পুৰুষৰ মানত ভাই-বন্ধু, আত্মীয়-কুটুম্ব, পুত্ৰ-পৰিয়াল মৃগতৃষ্ণাৰত মাথোন, সকলো অসাৰ; সিবিলাকত সাৰ পদাৰ্থ মাথোন আত্মা; সেই আত্মাৰ পৰমাত্মা লাভেই মোক্ষপদপ্ৰাপ্তি বা পৰমপদলাভ। এতেকে, হে অৰ্জ্জুন, উপস্থিত অসাৰ সমস্যাত তুমি অবিচলিত থকা হে তোমাহেন পুৰুষৰ শোভনীয় নিষ্কাক কৰ্ম্ম। কাছই যি দৰে, নিজৰ শিৰ আৰু অঙ্গ কোঁচাই নি অভ্যন্তৰস্থ কৰে, সেই দৰে সমাধিস্থ-জনে নিজৰ ইন্দ্ৰিয়গণক মনৰপৰা সঙ্কোচাই নি আত্মস্থিত কৰিলেই তেওঁৰ প্ৰজ্ঞা বা ব্ৰহ্মত্ব বা আত্মজ্ঞান প্ৰতিষ্ঠিত হয়। নিৰাহাৰজনিত দুৰ্ব্বল মানুহৰ শব্দাদি পদাৰ্থ, অৰ্থাৎ শ্ৰৱণশক্তি নাশ হয়, মাথোন বাসনা বিলয় নহয়; কিন্তু যোগী পুৰুষৰ বাসনা পৰ্য্যন্ত পৰমাত্মাত লয় পায়। হে কুন্তীনন্দন! ইও সত্য যে, বলবান্ ইন্দ্ৰিয়বিলাকে অতি বীৰ্য্যবান্ বিবেকী পুৰুষৰ মনো বলেৰে বিকাৰগ্ৰস্ত কৰে; এতেকে, উপস্থিত সমস্যাত তোমাৰ মন বিহ্বল হোৱাটো একো আচৰিত নহয়।"[৫]

এইখিনিতে অৰ্জ্জুনক চিন্তাযুত দেখি, শ্ৰীকৃষ্ণদেৱে এই বুলি সেই ব্যাখ্যাৰ ব্যাখ্যা ক্ৰমাৎ বিশদতৰ কৰিবলৈ ধৰিলে,—"কিন্তু, হে অৰ্জ্জুন! মোৰ অনন্য ভক্তই সেই ইন্দ্ৰিয়গণক সংযত কৰি সমাধিত ৰহে, কিয়নো যাৰ ইন্দ্ৰিয়গণ বশীভূত, তেওঁৰেই হে প্ৰজ্ঞা প্ৰতিষ্ঠিত বা ব্ৰহ্মত্ব-লাভ হৈছে বুলি ধৰ্ত্তব্য। অৰ্থাৎ, ইন্দ্ৰিয়গণ যদিও অতি বলবান্, তথাপি ভগবদ্-ভক্তজন হৃদয়ৰ সামৰ্থ্য আৰু বিবেকৰ তীক্ষ্ণতা গুণেৰে সেই ইন্দ্ৰিয়গণক বশীভূত কৰিবলৈ সমৰ্থবান্। কিন্তু, যিবিলাকে অকল বিবেক-বিচাৰ আৰু বিজ্ঞান-বলেৰে ইন্দ্ৰিয় জয় কৰিবলৈ বিচাৰে, সিবিলাক সততে অকৃতকাৰ্য্য হয়।"[৬]

ভগৱান শ্ৰীকৃষ্ণই সেই ব্যাখ্যাৰ ব্যাখ্যা এই বুলি আৰু

---

(১) যি নিজতে ব্ৰহ্ম দেখা পায়, তেওঁৱেই স্থিতপ্ৰজ্ঞ। স্থিতপ্ৰজ্ঞ পুৰুষ অৱস্থাভেদে দুই শ্ৰেণীৰ; এটা শ্ৰেণী সমাধিস্থ, আৰু আনটো সমাধিৰপৰা উঠি মুকলি মনেৰে পৰমাত্মাত স্থিতি লওঁতা। অৰ্জ্জুনে প্ৰথমে সমাধিস্থ স্থিতপ্ৰজ্ঞ পুৰুষৰ, তাৰ পাচত সমাধিৰপৰা উঠা হৰ্ষবিষাদাদি সমতাবিষ্ট পুৰুষৰ লক্ষণৰ বিষয়ে প্ৰশ্ন কৰিছে।

(২) কামনা, সংকল্প আদি মনৰ ধৰ্ম্ম।

(৩) বুদ্ধি, দুখ, সুখ, ইচ্ছা, দ্বেষ, প্ৰযত্ন, ধৰ্ম্ম আৰু অধৰ্ম্ম—এই আঠোটা আত্মাৰ ধৰ্ম্ম।

(৪) হৰ্ষবিষাদিৰ প্ৰতি সমজ্ঞান,—যোগ।

(৫) গীতা, ২য় আধ্যা, ৫৩—৬০ শ্লোক।

(৬) গীতা, ২য় আধ্যা, ৬১ শ্লোক।

বিশদ আৰু বহুল কৰিবলৈ ধৰিলে, "ইও অনিবাৰ্য্য যে, যদি বাহ্যিক ইন্দ্ৰিয়াদি ৰুদ্ধ কৰি একান্ত মনেৰে কোনো বিষয়ে চিন্তা কৰা যায়, তেনেহলে সেই বিষয়ৰ প্ৰতি আসক্তি জন্মে; আসক্তি হলেই তাক লাভ কৰিবলৈ বাসনা হয়; বাসনাৰপৰা ক্ৰোধৰ উৎপত্তি হয়, অৰ্থাৎ বাঞ্ছিত ফল লাভত কোনোৱে বিঘ্ন উপস্থিত কৰিলে তাৰ প্ৰতি ক্ৰোধ জন্মে; ক্ৰোধৰপৰা অবিবেক বা হিতাহিত জ্ঞানহীনতা ঘটে; বিবেকহীনতা ঘটিলেই স্মৰণ শক্তিৰ ব্যতিক্ৰম ঘটে, স্মৃতিভ্ৰম হলেই বুদ্ধি নাশ হয়; বুদ্ধি নাশৰপৰা শেহান্তৰত প্ৰাণ বিনাশ হয়।"[১]

আন হাতে, ৰাগ-দ্বেষবৰ্জ্জিত আত্মাবশীভূত ইন্দ্ৰিয়গণৰ দ্বাৰাই বিষয়-চিন্তা গ্ৰহণ কৰি সংযতচিত্ত পুৰুষে আত্মপ্ৰসাদ লাভ কৰে। অৰ্থাৎ ইন্দ্ৰিয়ৰাজ মনে বশ মানিলেই ইন্দ্ৰিয়াদি বশীভূত হয়; সেয়ে হলেই চিত্তশুদ্ধিৰ প্ৰভাৱেৰে বিষয়-চিন্তাত আত্মপ্ৰসাদ বা আত্মজ্ঞান লাভ হয়। এই আত্মপ্ৰসাদ লাভ হলেই, সমস্ত দুখৰ বিনাশ হয়, প্ৰাণত শান্তি জন্মে; কিয়নো বিশুদ্ধচিত্ত লোকৰ বুদ্ধি অতি সহজে আৰু সোনকালে আত্মাত প্ৰতিষ্ঠিত হয়। কিন্তু, যি আপোনাৰ মনক জয় কৰিব নোৱাৰে, সেই অজিতেন্দ্ৰিয় পুৰুষৰ বুদ্ধিও নাই, জ্ঞানো নাই; আত্মচিন্তাশক্তিশূন্য লোকৰ শান্তি নাই; অশান্তচিত্ত লোকৰ ক'তো কেতিয়াও সুখ নহয়। এতেকে, মুখ্য উদ্দেশ্য সাধন কৰিবলৈ হলে প্ৰথমে মনক আত্মবশলৈ আনিব লাগিব।"[২]

মন অতি দুৰ্দ্দম। এনে দুৰ্দ্দম মনে যদি এটামানো অসংযত ইন্দ্ৰিয়ক অৱলম্বন কৰে, তেনেহলে, প্ৰতিকূল বতাহে পাই নাৱৰ গতিভ্ৰষ্ট কৰাৰ দৰে, সি সমাধিস্থ পুৰুষৰ বিবেকবুদ্ধি হৰণ কৰি তেওঁক গম্য পথৰপৰা বিচলিত কৰে। এটা অসংযত ইন্দ্ৰিয়ৰেই যদি ইমান প্ৰভাৱ, তেন্তে যাক একাধিক অসংযত ইন্দ্ৰিয়ই পায়, তাৰ জানো কি যে সৰ্ব্বনাশ ঘটে! গতিকে, হে মহাবাহো! যাৰ সমস্ত ইন্দ্ৰিয়গণ নিজৰ বশীভূত হয়, তেওঁৰ পক্ষে হে প্ৰজ্ঞা আত্মজ্ঞান লাভ সম্ভৱ। জীৱ আৰু ব্ৰহ্ম বা জীৱাত্মা আৰু পৰমাত্মাৰ অভেদাত্ম্য বোধকে প্ৰজ্ঞা বোলা যায়। এই প্ৰজ্ঞা অজ্ঞান জনৰ চকুত অদৃশ্য। ৰাতি বুলিলে সাধাৰণতে আন্ধাৰ বুজায়। তদ্ৰূপ প্ৰজ্ঞাৰ বিপৰীত হৈছে অবিদ্যা। সেই কাৰণে, সাধাৰণ লোকে যেতিয়া অবিদ্যাৰূপ আন্ধাৰত খেপিয়াই ফুৰে, আত্মসাক্ষাৎকাৰীগণ তেতিয়া স্থিতপ্ৰজ্ঞ, আৰু অবিদ্যামগ্ন সাধাৰণ লোক যেতিয়া বিহ্বল, বিমোৰ আৰু অচেতন, ব্ৰহ্মজ্ঞানী তেতিয়া সবল, সজাগ আৰু কৰ্ত্তব্যপৰায়ণ।[৩] এই বুজনিৰে সৈতে ভগৱান শ্ৰীকৃষ্ণই মহাবাহু অৰ্জ্জুনক ইন্দ্ৰিয়জনিত মায়া-মোহ ত্যাগ কৰি উপস্থিত ৰণত আগুৱাবলৈ উদ্গনি দিয়ে।

অৰ্জ্জুনৰ মতি স্থিৰ কৰিবৰ অৰ্থে, বাসুদেৱে আকৌ আন পাকে এইবুলি বুজনি আৰম্ভ কৰিলে, "যেনেকৈ নদ-নদীৰ পানীয়ে ভৰপূৰকৈ চপ্‌চপীয়া কৰা অতল সাগৰত বৰষুণৰ পানী পৰি তাৰ আধাৰ শক্তিৰ বিঘ্ন ঘটাব নোৱাৰে, তেনেকৈ স্থিতপ্ৰজ্ঞ নিষ্কামকামী পুৰুষত বিষয়-বাসনাদি প্ৰবিষ্ট হলে, সেইবোৰে তেওঁত অশান্তি জন্মাব নোৱাৰে; বৰঞ্চ শান্তিহে বিস্তাৰ কৰে; বিষয়কামী পুৰুষৰ পক্ষে ই অসম্ভৱ।[৪]

অৰ্জ্জুনৰ মন শান্ত আৰু আশান্বিত কৰাৰ উদ্দেশে ভগৱান শ্ৰীকৃষ্ণই অনতিপলমে আকৌ এই ব্যাখ্যা আৰম্ভ কৰিলে, "যি পুৰুষে সকলো কামনা ত্যাগ কৰি নিৰ্ম্মল, নিৰহঙ্কাৰ আৰু নিস্পৃহ হৈ সংসাৰত চলে, সেই আত্মাবান্ যোগী পুৰুষে হে আচল শান্তি লাভ কৰে।"[৫]

সদৌশেহত, ভগৱান শ্ৰীকৃষ্ণই এই মন্তব্যেৰে ওপৰত

---

(১) ধ্যায়তো বিষয়ান্ পুংসঃ সঙ্গস্তেষূপজায়তে।
সঙ্গাৎ সংজায়তে কামঃ কামাৎ ক্ৰোধোঽভি-
জায়তে ॥—৬২
ক্ৰোধাদ্ভৱতি সংমোহঃ সংমোহাৎ স্মৃতিবিভ্ৰমঃ।
স্মৃতিভ্ৰংশাদ্‌বুদ্ধিনাশো বুদ্ধিনাশাৎ প্ৰণশ্যতি ॥ ৬৩

(২) গীতা, ২য় আধ্যা, ৬৪—৬৬ শ্লোক।

(৩) গীতা, ২য় আধ্যা, ৬৭—৬৯ শ্লোক।

(৪) আপূৰ্য্যমাণমচলপ্ৰতিষ্ঠং সমুদ্ৰমাপঃ প্ৰবিশন্তি যদ্বৎ।
তদ্বৎ কামা যং প্ৰবিশন্তি সৰ্ব্বে সশান্তিমাপ্নোতি
ন কামকামী।
—গীতা, ২য় আধ্যা, ৭০ শ্লোক

(৫) গীতা, ২য় আধ্যা, ৭১ শ্লোক।

ব্যাখ্যা দি অহা নিষ্কাম ধৰ্ম্মোপদেশৰ সামৰণি মাৰে,—"হে পাৰ্থ! ইয়াকে ব্ৰাহ্মীস্থিতি বা ব্ৰহ্মনিষ্ঠ অৱস্থা বোলা যায়। ইয়াক লাভ কৰিলে সংসাৰ-মায়াত বিমুগ্ধ হোৱা নাযায়। অৰ্থাৎ, যি পুৰুষে ব্ৰহ্মনিষ্ঠৰূপ এই স্থিতি লাভ কৰে, তেওঁত অজ্ঞানতাৰ পুনঃ অভ্যুদয়ৰ আশঙ্কা নাথাকে। আন কি, অন্তিম মুহূৰ্ত্তত ক্ষন্তেকমানো এই অৱস্থাত স্থিতি কৰিব পাৰিলে ব্ৰহ্মনিৰ্ব্বাণ লাভ কৰা যায়।"[১]

ত্ৰয়োদশ আধ্যা

জ্ঞানযোগ আৰু কৰ্ম্মযোগ

ইমানলৈকে শ্ৰীকৃষ্ণদেৱৰ ধৰ্ম্ম আৰু কৰ্ম্ম ব্যাখ্যা একান্ত-মনেৰে শুনি শুনি অৰ্জ্জুন বৰঞ্চ বিমোৰ হে হল; তেওঁ কৰ্ত্তব্যবিমোৰ হৈ অগত্যা শিষ্যৰ প্ৰগাঢ় ভক্তিৰে ভগৱান বাসুদেৱক পুনৰপি এই বুলি প্ৰশ্ন কৰিলে, "হে জনাৰ্দ্দন![২] যদি তোমাৰ মতে নিষ্কাম ধৰ্ম্মতকৈ আত্মজ্ঞান শ্ৰেষ্ঠতৰ হয়, তেন্তে, হে কেশৱ! এই ঘোৰ হিংসাজনক কাৰ্য্যলৈ (উপস্থিত ৰণলৈ) মোক কিয় উদগনি দিছাঁ? মই তোমাৰ শৰণাগত শিষ্য। এতেকে, হে ভকতবৎসল! যাতে মই সহজে আৰু ঠাৱৰকৈ মঙ্গল বা মুক্তিলাভ কৰিব পাৰোঁ তাকে নিশ্চয়কৈ মোক উপদেশ দিয়ঁা। কেতিয়াবা কামৰ, কেতিয়াবা জ্ঞানৰ শ্ৰেষ্ঠতা দেখুৱাই সানমিহলিকৈ জ্ঞানোপদেশ দি তুমি মোক মোহভ্ৰান্ত কৰিছা মাথোন। তোমাৰ ব্যাখ্যাত এহাতে বৈদিক নিষ্ঠাৰ লাঘৱতা প্ৰকাশ পাইছে, আনহাতে বেদনিষ্ঠা তৎপৰতা ধৰা পৰিছে; এহাতে নিবৃত্তি মাৰ্গৰ উপদেশ দিছা, আনহাতে প্ৰবৃত্তিমাৰ্গ মোকলাই দিছা। মই ইয়াৰ একো তৎ ধৰিব পৰা নাই। একে সময়তে একেজন মানুহে বিৰুদ্ধ ধৰ্ম্মৰ কৰ্ম্ম আৰু জ্ঞানৰ কেনেকৈ অধিকাৰী হব পাৰে বুবুজিলোঁ। হে কেশৱ! এই সমস্যা ভাঙ্গি মোক উজুকৈ বুজাই দিয়ঁা।"[৩]

ভগৱান শ্ৰীকৃষ্ণই অতি হৃষ্টচিত্তেৰে এইবুলি অৰ্জ্জুনৰ প্ৰশ্নৰ সমিধান দিলে,—"হে অনঘ![৪] মই ইতিপূৰ্ব্বতে কৈ আহিছোঁ যে, ইহলোকত ব্ৰহ্মনিষ্ঠা দুই প্ৰকাৰ,—জ্ঞানাধিকাৰীসকলৰ কাৰণে জ্ঞানযোগ আৰু কৰ্ম্মীগণৰ নিমিত্তে কৰ্ম্মযোগ। অৰ্থাৎ, যাৰ অন্তৰত আত্মা আৰু পৰমাত্মাৰ অভিন্নবোধ জন্মিছে, তেওঁৰ নিমিত্তে জ্ঞানযোগ—নিবৃত্তিমাৰ্গ; আৰু যাৰ অন্তঃকৰণত শুদ্ধিলাভ হোৱা নাই, তাৰ কাৰণে কৰ্ম্মযোগ—প্ৰবৃত্তিমাৰ্গ। জ্ঞান আৰু কৰ্ম্ম বিৰুদ্ধভাবী হলেও, একেজনতে পৰম্পৰা সম্বন্ধ সম্ভৱপৰ।"[৫]

ওপৰৰ শ্লোকটি সূত্ৰ মাথোন কৰি ভগৱান শ্ৰীকৃষ্ণই এটি-এটিকৈ তেৰটা শ্লোকেৰে জ্ঞানযোগ আৰু কৰ্ম্মযোগৰ ব্যাখ্যা এইদৰে দিছে,—"হে অৰ্জ্জুন! নিষ্কাম কৰ্ম্মৰ অনুষ্ঠান নকৰিলে নিষ্ক্ৰিয় ভাবৰ উৎপত্তি নহয়, আৰু অকল সন্ন্যাসব্ৰত ধৰিলেও সিদ্ধিলাভ বা জ্ঞানোদয় হোৱাৰ সম্ভাৱনা নাই। অৰ্থাৎ, যজ্ঞ, দান, তপস্যা, বেদাধ্যয়ন আদি নিত্যনৈমিত্তিক ক্ৰিয়া নিষ্কাম হৈ নকৰিলে চিত্ত-শুদ্ধি লাভ নহলে আত্মজ্ঞানৰ উদয় অসম্ভৱ।[৬]

"সত্ত্ব, ৰজঃ, তমঃ এই তিনি প্ৰাকৃতিক গুণৰ প্ৰভাৱত মানুহ আপোনা-আপুনি কৰ্ম্মত প্ৰবৃত্ত হয়; কোনো-লোকেই মুহূৰ্ত্তমানো নিষ্কৰ্ম্মা হৈ ৰব নোৱাৰে।"[৭]

"যি আত্মজ্ঞানহীন লোকৰ বাহিৰত ক্ৰিয়াত্যাগ বা সন্ন্যাসভাৱ, অথচ অন্তৰত নানা বাসনাজনিত ক্ৰিয়াৰ প্ৰবাহ, সেইজন কপটীয়া ভণ্ড সন্ন্যাসী মাথোন। কিন্তু,

---

(১) এষা ব্ৰাহ্মী স্থিতি পাৰ্থ নৈনাং প্ৰাপ্য বিমুহ্যতি।
স্থিত্বাঽস্যামন্তকালেঽপি ব্ৰহ্মনিৰ্ব্বাণমৃচ্ছতি॥
—গীতা, ২য় আধ্যা, ৭২ শ্লোক।

(২) বাঞ্ছিত বস্তুপ্ৰাপ্তিৰ অৰ্থে যাৰ ওচৰত যাচ্ঞা কৰা যায়, তেওঁকে জনাৰ্দ্দন বোলে। জ্ঞানতত্ত্ব আৰু মুক্তি যাচ্ঞাকাৰী অৰ্জ্জুনৰ মানত শ্ৰীকৃষ্ণ সেই জনাৰ্দ্দন।

(৩) গীতা, ৩য় আধ্যা, ১—২ শ্লোক।

(৪) 'অনঘ' সম্বোধনেৰে অৰ্জ্জুনৰ ব্ৰহ্মবিদ্যাত অধিকাৰ বুজাইছে।

(৫) গীতা, ৩য় আধ্যা, ৪ৰ্থ শ্লোক।

(৬) গীতা, ৩য় আধ্যা, ৪ৰ্থ শ্লোক।

(৭) গীতা, ৩য় আধ্যা, ৫ম শ্লোক।

হে অৰ্জ্জুন! যাৰ বাহিৰত ক্ৰিয়াৰ প্ৰবাহ, অথচ অন্তৰত তাৰ ফললাভৰ স্পৃহা নাই, সেই জন হে বিশিষ্ট পুৰুষ, তেওঁৰ হে পৰমপদ লাভ হয়।"[১]

"তুমি নিত্য-নৈমিত্তিক ক্ৰিয়াৰ অনুষ্ঠান কৰা, কিয়নো কৰ্ম্ম নকৰাতকৈ কৰ্ম্ম কৰা হে শ্ৰেষ্ঠ। বিশেষতঃ, কৰ্ম্ম নকৰিলে তোমাৰ শৰীৰ ধাৰণ ব্যাপাৰেই নচলিব। অৰ্থাৎ, তুমি যদি ক্ষত্ৰিয়োচিত যুদ্ধ নকৰা, অথচ সন্ন্যাসীৰ ভিক্ষাবৃত্তিতো যি স্থলত তোমাৰ অধিকাৰ নাই, তেন্তে ক্ষত্ৰিয়োচিত ৰণ-বিগ্ৰহত লিপ্ত নহলে তোমাৰ জীৱন ধাৰণেই অসম্ভৱ হব।[২] অৰ্থাৎ, সন্ন্যাস[৩] ধৰ্ম্মত তোমাৰ অধিকাৰ নাই। গতিকে, ক্ষত্ৰিয়োচিত ৰণ বিগ্ৰহত লিপ্ত নহলে তোমাৰ নিজ অধিকাৰৰ[৪] বৰ্ণাশ্ৰমোচিত ধৰ্ম্মও নষ্ট হব। এতেকে, হে অৰ্জ্জুন, তুমি ৰণত প্ৰবৃত্ত হোৱা।"

"ভগৱদাৰাধনাৰ্থে কৰ্ম্মানুষ্ঠান নকৰি অন্য কৰ্ম্মানুষ্ঠানত ধৰিলে মানুহ সংসাৰবন্ধনদশাগ্ৰস্ত হয়, এতেকে হে কুন্তীনন্দন। তুমি ফল কামনা নৰখাকৈ, অৰ্থাৎ নিষ্কাম ভাৱে ভগৱানৰ উদ্দেশে শ্ৰদ্ধা ভক্তিৰে সৈতে আশ্ৰমোচিত কৰ্ম্মাদিৰ অনুষ্ঠান কৰা।"[৫]

"সৃষ্টিপাতনিতে সৃষ্টিকৰ্ত্তা ব্ৰহ্মাই যজ্ঞৰে সৈতে জীৱগণক সৃষ্টি কৰি কৈছিল যে, এই যজ্ঞ সিবিলাকৰ অভীষ্ট ভোগপ্ৰদ হব। অৰ্থাৎ, নিত্যনৈমিত্তিক ক্ৰিয়া নিয়মিতৰূপে কৰি থাকিলে কৰ্ম্মৰ স্বভাৱগুণতেই বাঞ্ছিত ফল অযাচিতে পোৱা যায়, আৰু ইষ্ট দেৱতাদিও তুষ্ট হয়। ইয়াৰ বিপৰীতে যি স্বাৰ্থান্ধ হৈ কাম্য কৰ্ম্মত প্ৰবৃত্ত হয়, সি পাপসঞ্চয় কৰে মাথোন। যজ্ঞাৱশেষভোজী সৎপুৰুষসকল সততে পাপৰপৰা মুক্ত হয়, কিন্তু যি পাপাত্মাই নিজৰ নিমিত্তে হে পাক কৰে, সি স্বোপাৰ্জ্জিত পাপ মাথোন ভোজন কৰে। ইয়াকে সাৰোগত কৰি, হে অৰ্জ্জুন! তুমি উপস্থিত ৰণত লিপ্ত হোৱা॥[৬]

"অন্নৰপৰা শৰীৰ উৎপন্ন হয়, মেঘে বৰষুণ দিলে সেই অন্ন জন্মে, যজ্ঞৰ ফলত মেঘ, আৰু কৰ্ম্মৰপৰা যজ্ঞ। এতেকে, কৰ্ম্মেই শৰীৰ, কৰ্ম্মেই জীৱন। সেই কৰ্ম্ম বেদৰপৰা উৎপন্ন, আৰু বেদ ব্ৰহ্মৰপৰা উৎপন্ন। গতিকে, ব্ৰহ্ম বা পৰমাত্মাই কৰ্ম্মৰ জনক। এতেকে, হে অৰ্জ্জুন! যি মানুহে এনে মনুষ্য শৰীৰ ধাৰণ কৰি এই প্ৰৱৰ্ত্তিত কৰ্ম্মচক্ৰত আৱৰ্ত্তন নকৰে, সেই ইন্দ্ৰিয়াসক্ত পাপযুক্ত পুৰুষৰ জীৱনেই বৃথা।"[৭]

"কিন্তু, যি পুৰুষৰ আত্মাতেই ৰতি, আত্মাতেই তৃপ্তি, আত্মাতেই সন্তোষ, সেই পুৰুষৰ কৰ্ম্মানুষ্ঠান অনাৱশ্যক। কৰ্ম্মৰ অনুষ্ঠান কৰিলে বা নকৰিলে আত্মজ্ঞানী পুৰুষৰ পুণ্য বা প্ৰত্যবায় একো নহয়। এতেকে, হে পাৰ্থ, তুমি ফল কামনাবৰ্জ্জিত হৈ কৰ্ম্মানুষ্ঠান কৰা। কিয়নো, ফল কামনাবৰ্জ্জিত নিষ্কাম কৰ্ম্মী পুৰুষে পৰমপদ লাভ কৰে। জনকাদি মহাত্মাগণে কৰ্ম্মানুষ্ঠানৰ দ্বাৰাই আত্মজ্ঞান লাভ কৰিছিল, তুমিও লোকসংগ্ৰহাৰ্থে[৮] ক্ষত্ৰিয়োচিত কৰ্ম্মৰ অনুষ্ঠান কৰা উচিত।"[৯]

"শ্ৰেষ্ঠজনে যি যি অনুষ্ঠান কৰে, ইতৰ লোকে সেই সমস্তকে অনুসৰণ কৰে, আৰু শ্ৰেষ্ঠ লোকে যিহকে প্ৰামাণিক বুলি মানে, সৰ্ব্বসাধাৰণে তাকে অনুসৰণ কৰে।[১০]

---

(১) গীতা, ৩য় আধ্যা, ৬—৭ম শ্লোক।

(২) গীতা, ৩য় আধ্যা, ৮ম শ্লোক।

(৩) ধৰ্ম্ম, সত্য, দম, দান, প্ৰজনন, আহিতাগ্নিতা, অগ্নিহোত্ৰ, যজ্ঞ, মানস প্ৰভৃতি সাধন সন্ন্যাসৰ অধিকাৰমূলক।—শ্ৰীধৰস্বামীকৃত টীকা, আৰু গীতাৰ্থসন্দীপনী।

(৪) ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বাণপ্ৰস্থ, সন্ন্যাস, এই চতুৰাশ্ৰমত ব্ৰাহ্মণৰ অধিকাৰ, ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বাণপ্ৰস্থ, এই তিনি আশ্ৰমত ক্ষত্ৰিয়ৰ অধিকাৰ, আৰু ব্ৰহ্মচৰ্য্য আৰু গাৰ্হস্থ্য এই দুই আশ্ৰমত বৈশ্যৰ অধিকাৰ।—কৃষ্ণানন্দস্বামীৰ গীতাৰ্থসন্দীপনী।

(৫) গীতা, ৩য় আধ্যা, ৯ম শ্লোক।

(৬) গীতা, ৩য় আধ্যা, ১০—১৩শ শ্লোক।

(৭) গীতা, ৩য় আধ্যা, ১৪—১৬শ শ্লোক।

(৮) লোকসকল, অৰ্থাৎ প্ৰজাবৰ্গক নিজ নিজ ধৰ্ম্মত প্ৰৱৰ্ত্তিত কৰা আৰু সিবিলাকক অধৰ্ম্মৰপৰা ৰক্ষা কৰাৰ নাম লোকসংগ্ৰহ।

(৯) গীতা, ৩য় আধ্যা, ১৭—২০ শ্লোক।

(১০) যদ্যদাচৰতি শ্ৰেষ্ঠস্তত্তদেৱেতৰো জনঃ।
স যৎ প্ৰমাণং কুৰুতে লোকস্তদনুৱৰ্ত্ততে। ২১

গতিকে, হে অৰ্জ্জুন! তুমি শ্ৰেষ্ঠজন হৈ যদি এই কৰ্ম্ম (উপস্থিত ৰণ) ত্যাগ কৰাঁ, তেন্তে ইতৰলোকে তোমাৰে পটন্তৰ আগত লৈ কৰ্ত্তব্যকৰ্ম্ম ত্যাগ কৰিব। তেতিয়া হলে তুমি লোকৰ আদৰ্শস্থানীয় নহলাঁ। সেই কাৰণেই, হে পাৰ্থ! যদিও ত্ৰিভুবনত মোৰ কিঞ্চিৎমানো কৰিব লগীয়া কৰ্ম্ম নাই, অপ্ৰাপ্ত প্ৰাপ্তব্য নাই, তথাপি মই কৰ্ম্মানুষ্ঠানত ব্যাপৃত আছোঁ; নাথাকিলে লোকসমূহ উৎসন্ন যাব, মই বৰ্ণসঙ্কৰ উৎপন্নৰ কাৰণ হৈ পৰিম। এতেকে, হে পাৰ্থ, আত্মজ্ঞানহীনজনে যেনেকৈ ফল কামনাৰ আসক্তিৰে কৰ্ম্মানুষ্ঠান কৰে, সেইদৰে তুমি-মই ফলকামনা-বৰ্জ্জিত হৈ অনাসক্তচিত্তেৰে কৰ্ম্মানুষ্ঠান কৰা কৰ্ত্তব্য। কিয়নো, তত্ত্ববিৎ পুৰুষে আত্মজ্ঞানহীন জন-সাধাৰণৰ মাজত মতভেদ নঘটাই একপন্থীয়াকৈ কৰ্ম্মমাৰ্গত নিযুক্ত ৰাখিবলৈ হে চায়; আৰু অহঙ্কাৰত বিমূঢ়াত্মালোকে ভাবে যে, তেওঁ হে কৰ্ম্মৰ অনুষ্ঠান কৰিছে, কিন্তু প্ৰকৃততে সি নহয়, সত্ত্ব, ৰজঃ, তমঃ আদি প্ৰকৃতিৰ গুণৰাশিৰ দ্বাৰাই হে কৰ্ম্ম অনুষ্ঠিত হয়। যথাৰ্থ তত্ত্বজ্ঞলোকে কাচিতো নিজত কৰ্তৃত্ব আৰোপ নকৰে। আত্মজ্ঞানহীন জীৱ প্ৰকৃতিৰ গুণত মুগ্ধ হৈ ইন্দ্ৰিয়ভোগ্য বিষয়ত আসক্ত হয়, কিন্তু যেতিয়ালৈকে সিসকলত আত্মজ্ঞানৰ সঞ্চাৰ নহয়, তেতিয়ালৈকে আত্মজ্ঞানীজনে সিসকলক কৰ্ম্মত্যাগলৈ বাট দেখুৱাব নাপায়। এতেকে, হে অৰ্জ্জুন, তুমি কৰ্ম্মৰাশি অধ্যাত্মচিত্তেৰে মোৰ ওপৰত সমৰ্পণ কৰি, কামনা-মমতা-শোকৰহিত হৈ যুদ্ধত প্ৰবৃত্ত হোৱাঁ। এই ঐশ্বৰিক মত অনুসৰণ কৰিলে আত্মজ্ঞানশূন্য জনেও কৰ্ম্মজালৰপৰা মুক্তি-লাভ কৰে, আৰু যি দুৰ্ব্বুদ্ধি হেতুকে ইয়াৰ বিপৰীত আচৰণ কৰে, তাৰ পুৰুষত্ব আৰু পুৰুষাৰ্থ ভ্ৰষ্ট হয়। বিশেষতঃ, পূৰ্ব্বজন্মকৃত ধৰ্ম্মাধৰ্ম্মৰ প্ৰতিফলৰ হাত মহা-বলৱন্তেও এৰাব নোৱাৰে।"[১]

"সকলো ইন্দ্ৰিয়ৰেই[২] বিষয়ভেদে[৩] অনুৰাগ আৰু বিৰাগ নিৰ্দ্দিষ্ট আছে; কিন্তু দুয়ো জীৱৰ পৰম শত্ৰু। এতেকে, কাচিতো তাৰ বশীভূত হোৱা উচিত নহয়। কিয়নো, যেতিয়ালৈকে এই স্বাভাৱিক ৰাগ-বিৰাগ বিদ্যমান থাকে, তেতিয়ালৈকে সাধকৰ সাধু উদ্দেশ্য সিদ্ধি নহয়।"[৪]

"স্বধৰ্ম্ম অঙ্গহীন হলেও সম্পূৰ্ণাঙ্গ বা উত্তমৰূপে অনুষ্ঠিত পৰধৰ্ম্মতকৈ শ্ৰেষ্ঠ। পৰধৰ্ম্ম নিজ প্ৰকৃতিবিৰুদ্ধ হেতুকে সি ভয়াবহ হয় বা শুভফলদায়ক নহয়; কিন্তু নিজ প্ৰকৃতিগত স্বধৰ্ম্ম সাধনেৰে স্বপ্ৰকৃতি বিশুদ্ধ কৰোঁতে কৰোঁতে মৃত্যু হলেও মঙ্গল লাভ হয়। হে অৰ্জ্জুন! ক্ষত্ৰিয় ধৰ্ম্মই তোমাৰ স্বধৰ্ম্ম! সেই স্বধৰ্ম্ম পালনাৰ্থে তুমি যুদ্ধত প্ৰবৃত্ত হৈ তোমাৰ কল্যাণ সাধন কৰাঁ।"[৫]

এনেতে অৰ্জ্জুনে এই বুলি পুনৰপি প্ৰশ্ন তুলিলে, "হে বৃষ্ণিবংশধৰ! পুৰুষৰ প্ৰবৃত্তি নাথাকিলেও কিহে নো তেন্তে পাপ কাৰ্য্যলৈ উদ্গনি দিয়ে? তোমাৰ জ্ঞানগৰ্ভ উপদেশ লবলৈ মোৰ একান্ত বাঞ্ছা হেতুকে যদিও ৰণ কৰা মোৰ কৰ্ত্তব্য বুলি মই বুজিছোঁ, তথাপি সেই ৰণলৈ মোৰ প্ৰবৃত্তি জন্মা নাই কিয়?"[৬]

তদুত্তৰত, ভগৱান শ্ৰীকৃষ্ণই এই বুলি সমিচাৰ দিলে, - "কামনা ৰজগুণৰপৰা উৎপন্ন, এই কামনা কাৰ্য্যস্থলত ক্ৰোধৰূপে পৰিণত হয়, হে পাৰ্থ! ইহজন্মৰ মোক্ষমাৰ্গত এই কামনা পৰম শত্ৰু বুলি বুজিবাঁ। ই দুৰ-দুৰণীয়, ই অতিশয় উগ্ৰ। ইয়াকে জানি তুমি কামনা পৰিত্যাগ কৰিবাঁ।[৭] আৰু, আঙঠাক যেনেকৈ ফুটছায়ে ঢাকি থয়, আৰ্চীক যেনেকৈ চেকাই ঢাকি ধৰে, জৰায়ুৱে যেনেকৈ

---

(১) গীতা, ৩য় আধ্যা, ২১—৩৩ শ্লোক।

(২) শ্ৰোত্ৰ, ত্বক্, নেত্ৰ, ৰসনা, ঘ্ৰাণ আৰু বাক্, পাণি, পাদ, উপাস্থ, পায়ু—এই দশেন্দ্ৰিয় জীৱত বিদ্যমান।

(৩) শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ, বচন, আদান, গমন, আনন্দ, মলত্যাগ—এই দহোটা ইন্দ্ৰিয়ৰ স্বাভাৱিক প্ৰকৃতি বা বিষয়।

(৪) গীতা, ৩য় আধ্যা, ৩৪ শ্লোক।

(৫) শ্ৰেয়ান্ স্বধৰ্ম্মো বিগুণঃ পৰধৰ্ম্মাৎ স্বনুষ্ঠিতাৎ।
স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ পৰোধৰ্ম্মো ভয়াবহঃ॥
—গীতা, ৩য় আধ্যা, ৩৫ শ্লোক।

(৬) গীতা, ৩য় আধ্যা, ৩৬ শ্লোক।

(৭) গীতা, ৩য় আধ্যা, ৩৭ শ্লোক।

গৰ্ভক ঢাকি ৰাখে, তেনেকৈয়ে কাম বা কামনায়ো আত্মা বা জ্ঞানক আঁৰ কৰি থয়।[১] হে কৃন্তীনন্দন! এই কামনায়ে জ্ঞানীৰো বিবেকশক্তিক অকামিলা কৰে।"[২]

"ইন্দ্ৰিয়, মন আৰু বুদ্ধি এই তিনি ভেঁটীত খোপনি লৈয়ে কামনাই জ্ঞানক তল পেলাই দেহাভিমানী জীৱক মোহত মগ্ন কৰে। এতেকে, হে ভৰতৰ্ষভ! তুমি প্ৰথমতে ইন্দ্ৰিয়গণক বশ কৰি, জ্ঞান-বিজ্ঞান বিনাশকাৰী আৰু সৰ্ব্ব-পাপৰ আশ্ৰয় এই কামনাক বিনষ্ট কৰা।"[৩]

"দেহতকৈ ইন্দ্ৰিয় শ্ৰেষ্ঠ, মনতকৈ বুদ্ধি শ্ৰেষ্ঠ, বুদ্ধিৰ উপৰি আটাইতকৈ আত্মা শ্ৰেষ্ঠ। এতেকে, হে মহাবাহো! তুমি আত্মাক এইৰূপে জানি লৈ, তেওঁৰ অধীনৰ বুদ্ধিৰে সৈতে মন স্থিৰ কৰি, এই কামৰূপ দুৰ্জ্জয় শত্ৰুক নাশ কৰি আত্মজ্ঞান লাভৰ উদ্দেশ্য সম্পূৰ্ণ কৰা।"[৪]

চতুৰ্দ্দশ আধ্যা

আত্মতত্ত্ব প্ৰকাশ—কৰ্ত্তব্যকৰ্ত্তা

জ্ঞানযোগ আৰু কৰ্ম্মযোগৰ নিগূঢ় তত্ত্ব ব্যাখ্যা কৰি, ভগৱান[৫] শ্ৰীকৃষ্ণই সাময়িক সমস্যা বুজি, এই বুলি প্ৰিয়শিষ্য প্ৰিয়সখি অৰ্জ্জুনৰ প্ৰতি আত্মতত্ত্ব ব্যাখ্যানত ধৰিলে, "এই অব্যয় জ্ঞানযোগৰ ব্যাখ্যা মই[৬] আদিতে সূৰ্য্যক[৭] দিছিলোঁ; সূৰ্য্যৰপৰা মনুৱে আৰু মনুৰপৰা ইক্ষ্বাকুৱে লাভ কৰে। তাৰ পাচত, ধৰ্ম্মভাৱৰ দুৰ্ব্বলতা, অজিতেন্দ্ৰিয়তা, কাম-ক্ৰোধাদিৰ বশৱৰ্ত্তিতা ইত্যাদি দোষত বহুকাল ব্যাপি জীৱগণে সেই আত্মজ্ঞান হেৰুৱাইছিল। হে অৰ্জ্জুন! তুমি মোৰ ভক্তশিষ্য আৰু প্ৰিয়সখি, গতিকে তোমাত আজি সেই নিগূঢ় তত্ত্ব পুনৰপি ব্যক্ত কৰিলোঁ।"[৮]

শ্ৰীকৃষ্ণদেৱৰ উক্তিত আচৰিত হৈ অৰ্জ্জুনে ততালিকে এই বুলি প্ৰশ্ন তুলিলে, "হে ভগৱান! তোমাৰ জন্ম পাচত, বৈৱস্বত বা সূৰ্য্যৰ জন্ম বহু পূৰ্ব্বে হৈছিল; এনেস্থলত জ্ঞানযোগৰ তত্ত্ব তুমি সূৰ্য্যৰ আগত ব্যাখ্যা কৰিছিলা বুলি কেনেকৈ ধাৰণা কৰোঁ?"[৯]

অৰ্জ্জুনৰ এই জটিল প্ৰশ্নৰ উত্তৰ ভগৱান শ্ৰীকৃষ্ণই এই বুলি দিলে, "প্ৰকৃততে ইতঃপূৰ্ব্বত মোৰ আৰু তোমাৰ বহুবাৰ জন্ম হৈ গৈছে। মোৰ আত্মদৃষ্টিৰ জ্ঞান অবিচলিত থকাৰ হেতুকে মই তোমাৰ-মোৰ বহুবাৰৰ জন্মকথা জানোঁ; কিন্তু তুমি দেহাত্মবুদ্ধিৰ বশ হেতুকে সেই বিষয়ে তোমাৰ স্মৰণ নাই। যি অনাদি তেওঁৰ জন্ম নাই; যি অবিনাশী তেওঁৰ মৰণ নাই। মই এনে জন্ম-মৰণৰহিত যদিও নিজৰ প্ৰকৃতিক বশীভূত কৰি নিজ মায়াৰ দ্বাৰাই মই জন্মগ্ৰহণ কৰোঁ। হে ভাৰত![১০] যেতিয়াই ধৰ্ম্মৰ হানি আৰু অধৰ্ম্মৰ প্ৰাদুৰ্ভাৱ প্ৰবল হয়, তেতিয়াই মই

---

(১) ধূমেনাব্ৰিয়তে বহ্নিৰ্যথাদৰ্শো মলেন চ।
যথোল্বেনাবৃতো গৰ্ভস্তথা তেনেদমাবৃতম্॥
—গীতা, ৩য় আধ্যা, ৩৮ শ্লোক।

(২) গীতা, ৩য় আধ্যা, ৩৯ শ্লোক।

(৩) গীতা, ৩য় আধ্যা, ৪০—৪১ শ্লোক।

(৪) ইন্দ্ৰিয়াণিপৰাণ্যাহুৰিন্দ্ৰিয়েভ্যঃ পৰং মনঃ।
মনসস্তু পৰা বুদ্ধিৰ্বুদ্ধেঃ পৰতস্তু সঃ॥৪২
এবং বুদ্ধেঃ পৰং বুদ্ধা সংস্তভ্যাত্মানমাত্মনা।
জহি শত্ৰুং মহাবাহো কামৰূপং দুৰাসদম্॥৪৩

(৫) আত্মজ্ঞানৰ গৰাকী, অৰ্থাৎ ব্ৰহ্মজ্ঞানী হেতুকে শ্ৰীকৃষ্ণদেৱক ভগৱান বোলা যায়।

(৬) 'মই' বোলোঁতেই দ্বাপৰৰ শ্ৰীকৃষ্ণই অনাদি, সত্য আৰু ত্ৰেতাৰ মানৱক এই তত্ত্বজ্ঞান দিয়াটো অসম্ভৱ ভাবি উচাপ খাব লগীয়া হয়। কিন্তু, সৰ্ব্বশাস্ত্ৰবিশাৰদ নিগূঢ়তত্ত্ববেদী যোগী পুৰুষ শ্ৰীকৃষ্ণদেৱে পূৰ্ব্বজন্মৰ তথ্য ধাৰণা কৰি এই কথা কোৱাত আচৰিত মানিবলৈ অকাট্য কাৰণ নাথাকে।

(৭) সূৰ্য্য ক্ষত্ৰিয়কুলৰ বীজস্বৰূপ বুলি মহাভাৰত, হৰিবংশ আৰু পুৰাণাদিত সাব্যস্ত কৰা হৈছে।

(৮) গীতা, ৪ৰ্থ আধ্যা, ১—৩ শ্লোক।

(৯) এই বিষয়ত অৰ্জ্জুনৰ সন্দেহ গভীৰ হোৱাৰ আৰু এটা কাৰণ এই যে, ইতিপূৰ্ব্বতে শ্ৰীকৃষ্ণদেৱে ব্যাখ্যা কৰি আহিছে আত্মা অমৰ আৰু পৰমাত্মা লাভৰ পাচত তেওঁ ব্ৰহ্মনিৰ্ব্বাণ প্ৰাপ্ত হয় বুলি; এতেকে পুনৰ্জন্ম অসম্ভৱ।—গীতা, ৪ৰ্থ আধ্যা, ৪ৰ্থ শ্লোক।

(১০) ভা=জ্ঞান; ৰত=ৰতিযুত। ভাৰত সম্বোধনেৰে এই খিনিত অৰ্জ্জুনক জ্ঞানপিপাসু বুজোৱা হৈছে।

আপোনাক আপুনি সৃষ্টি কৰোঁ। সাধুৰ ৰক্ষা, দুষ্টৰ দমন আৰু ধৰ্ম্ম স্থাপনৰ অৰ্থে মই যুগে যুগে অৱতীৰ্ণ হওঁ। হে অৰ্জ্জুন! যি পুৰুষে মোৰ এই দিব্য জন্ম-কৰ্ম্মৰ তত্ত্ব হৃদয়ঙ্গম কৰিব পাৰে, তেওঁৰ দেহান্তৰৰ পাচত আৰু পুনৰ্জ্জন্ম নহয়। তেওঁ মোৰ আত্মাতে বিলীন হৈ নিৰ্ব্বাণপ্ৰাপ্ত হয়।"[১]

"অন্তঃকৰণক কামক্ৰোধভয়বৰ্জ্জিত কৰি যি সাধকে ব্ৰহ্ম আৰু জীৱক অভিন্নভাৱে দেখে, আৰু এক ভগৱানত মাথোন মন সমৰ্পণ কৰে, আৰু আত্মজ্ঞানৰূপ তপস্যাৰ দ্বাৰাই চিত্তশুদ্ধি লাভ কৰে, তেওঁৱেই পৰমাত্মা পৰমপদ লাভ কৰে। হে পাৰ্থ! যি যেনে ভাৱে ভজনা কৰে, ভগৱানে তেওঁক সেই ভাৱেই কৃপা কৰে। কামী মনুষ্যগণে নানা পন্থাৰে পূজা কৰিলেও, সিবিলাকে একমাত্ৰ ভগৱান পন্থাকেই অনুসৰণ কৰে।"[২]

"ইহলোকত ফল কামনাৰে সৈতে যজ্ঞাদিৰ অনুষ্ঠান কৰিলে আশু ফল লাভ হয়, আৰু গুণকৰ্ম্ম বিভাগ অনুসাৰে ভগৱানে চাৰিবৰ্ণৰ[৩] সৃষ্টি কৰিছে। কিন্তু তথাপি তেওঁ অকৰ্ত্তা আৰু অব্যয় বুলি জানিবা। কিয়নো, কৰ্ম্মই তেওঁক স্পৰ্শ নকৰে, বাস্তৱতে কৰ্ম্মফলৰ কামনাও তেওঁত নাই। এই ভাৱে যি সকলে ভগৱানক ভজে, কৰ্ম্মজালে সেই সকলক মেৰাই ধৰিব নোৱাৰে। আত্মাক এইভাৱে অকৰ্ত্তা, অভোক্তা আৰু অব্যয় ভাবি পূৰ্ব্বে যোগী পুৰুষ-সকলে[৪] কৰ্ম্মানুষ্ঠান কৰিছিল। এতেকে, হে অৰ্জ্জুন, তুমিও সেই পথ অনুসৰণ কৰা।"[৫]

পঞ্চদশ আধ্যা

কৰ্ত্তব্যাকৰ্ত্তব্য জ্ঞান

ভগৱান শ্ৰীকৃষ্ণই সখি-শিষ্য অৰ্জ্জুনক কৰ্ত্তব্যাকৰ্ত্তব্য-জ্ঞান দিয়াৰ উদ্দেশ্যে পুনৰপি এই বুলি উপদেশ দিলে,—"হে অৰ্জ্জুন! কৰ্ত্তব্য কৰ্ম্ম কি, আৰু অকৰ্ত্তব্য কৰ্ম্ম কি, এই বিষয় নিৰূপণ কৰিবলৈ গৈ বুদ্ধিমান্ পুৰুষো মোহপ্ৰাপ্ত হয়। গতিকে, তোমাক মই কৰ্ত্তব্যাকৰ্ত্তব্যৰ বিশদ ব্যাখ্যা দিওঁ; তাৰ মৰ্ম্ম বুজি সেই মতে চলিলে তুমি সংসাৰমুক্ত হবা। বিহিত কৰ্ম্ম, নিষিদ্ধ কৰ্ম্ম, অকৰ্ম্ম, এই তিনিওবিধ কৰ্ম্মৰ তত্ত্ব জ্ঞাত হোৱা আৱশ্যক। যি কৰ্ম্মৰ মাজতো অকৰ্ম্ম, আৰু অকৰ্ম্মৰ মাজতো কৰ্ম্ম দেখে, মানুহৰ মাজত তেওঁৱেই হে বুদ্ধিমান্। যাৰ সমস্ত কৰ্ম্মই কামসংকল্পবৰ্জ্জিত, জ্ঞানী-গণে তেওঁকে পণ্ডিত বোলে। যি কৰ্ম্ম আৰু ফলৰ আসক্তি এৰাই সততে সদানন্দ আৰু নিৰ্লিপ্ত থাকে, তেওঁক তেওঁৰ কৃতকৰ্ম্মে স্পৰ্শ কৰিব নোৱাৰে।"[৬]

"যি নিষ্কাম, সংযতচিত্ত, সৰ্ব্বপ্ৰকাৰ পৰিগ্ৰহত্যাগী, তেওঁ কেৱল শাৰীৰিক কৰ্ম্মানুষ্ঠানৰ বাবে পাপভাগী নহয়। যি যথালাভত সন্তুষ্ট, দ্বন্দ্বসহিষ্ণু, মাৎসৰ্য্যবৰ্জ্জিত, লাভ আৰু অলাভত সমভাবাপন্ন, তেওঁ কৰ্ম্মানুষ্ঠান কৰিলেও বন্ধনপ্ৰাপ্ত নহয়। যাৰ ফলভোগৰ বাসনা নাই, যি ৰাগবৰ্জ্জিত, ব্ৰহ্মজ্ঞানত যি অবিচলিতচিত্ত, তেনে লোকে যজ্ঞাদিৰ অৰ্থে কৰ্ম্মানুষ্ঠান কৰিলে সেই লোকৰ কৰ্ম্মফল বিনষ্ট হয়। যজ্ঞৰ

---

(১) গীতা, ৪ৰ্থ আধ্যা, ৫—৯ শ্লোক।

(২) গীতাৰ শ্লোকত 'ভগৱান' উদ্দেশে 'মন্ময়াঃ', 'মাম্', 'মদ্ভাবম্', 'মাংস', 'অহং', 'মম' ইত্যাদি শব্দ প্ৰয়োগ কৰা হৈছে। তাৰ দ্বাৰাই আত্মজ্ঞানী শ্ৰীকৃষ্ণই নিজকে ভগৱান বা ঈশ্বৰৰ আৰ্হিহে দেখুৱাইছে, এই বাবেই অনেকানেক টীকাকাৰে আৰু জনসাধাৰণে এই বুজে যে, শ্ৰীকৃষ্ণই নিজে নিজক এই প্ৰসঙ্গত ভগৱান বা ঈশ্বৰ স্বৰূপে চিনাকি দিছে। কিন্তু, গীতা ব্যাখ্যাৰ পূৰ্ব্বে কেতিয়াও শ্ৰীকৃষ্ণই নিজত ঈশ্বৰত্ব আৰোপ কৰা পোৱা নাযায়।

—গীতা, ৪ৰ্থ আধ্যা, ১০—১১ শ্লোক।

(৩) ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ—এই চাৰি বৰ্ণ। কৰ্ম্মগুণ অনুসাৰে ইয়াৰ সালসলনিও ঘটিব পাৰে; ব্ৰাহ্মণ মলিন বৃত্তি হলে ক্ৰমাৎ ক্ষত্ৰিয় ব্ৰাহ্মণ, শূদ্ৰ ব্ৰাহ্মণ, চাণ্ডাল ব্ৰাহ্মণ আদিত পৰিণত হয়। অন্যান্য বৰ্ণতো এই ক্ৰমোন্নতি আছে। কৰ্ম্মগুণৰ তাৰতম্যত ব্ৰাহ্মণে শূদ্ৰত্ব আৰু শূদ্ৰই ব্ৰাহ্মণত্ব প্ৰাপ্ত হয়।

—কৃষ্ণানন্দ স্বামীকৃত গীতাৰ্থ সন্দীপনী, ৪ৰ্থ আধ্যা, ১৩ শ্লোক।

(৪) জনক, যযাতি, যদু প্ৰভৃতি ৰাজৰ্ষিসকলক উদ্দেশ কৰা হৈছে।

(৫) গীতা, ৪ৰ্থ আধ্যা, ১২—১৫ শ্লোক।

(৬) গীতা, ৪ৰ্থ আধ্যা, ১৬—২০ শ্লোক।

আহুতি ঘৃত, হোতা, যজ্ঞফল এই সকলোতে যাৰ ব্ৰহ্মবুদ্ধি, তেওঁ ব্ৰহ্মকেই লাভ কৰে। কোনো কোনো যোগীয়ে দৈব-যজ্ঞৰ[১] অনুষ্ঠান কৰে, আৰু কোনো কোনোৱে জ্ঞান-যজ্ঞত[২] জীৱাত্মাক আহুতি দিয়ে। অন্যান্য লোকে শ্ৰোত্ৰাদি ইন্দ্ৰিয়গণক সংযমৰূপ অগ্নিত আহুতি দিয়ে; অপৰাপৰে ইন্দ্ৰিয়ৰূপ অগ্নিত শব্দাদি বিষয়সমূহক আহুতি দিয়ে। আৰু, কোনো কোনো যোগীয়ে সমস্ত ইন্দ্ৰিয়গণৰ কৰ্ম আৰু প্ৰাণাদিৰ কৰ্মৰাশিক জ্ঞানেৰে জলোৱা আত্মসংযমৰূপ অগ্নিত হোম কৰে। কোনোৱে, দ্ৰব্যযজ্ঞ,[৩] কোনোৱে তপোযজ্ঞ,[৪] কোনোৱে যোগযজ্ঞৰ[৫] কৰ্ম অনুষ্ঠান কৰে, কোনো কোনো যত্নশীল লোক আকৌ বেদাভ্যাসৰত আৰু জ্ঞানযজ্ঞ-পৰায়ণ। এইদৰে ভিন্ ভিন যোগীয়ে ভিন্ ভিন্ যজ্ঞৰ অনুষ্ঠান কৰে।"[৬]

"কোনো কোনো যোগীয়ে অপান বায়ুত প্ৰাণক আৰু প্ৰাণবায়ুত অপান বায়ুক আহুতি প্ৰদান কৰে, অৰ্থাৎ বাহ্যবায়ু বা প্ৰশ্বাসক দেহৰ ভিতৰলৈ টানি লৈ প্ৰাণবায়ু বা নিশ্বাসৰ আহুতি দিয়ে। আৰু, কোনো কোনো সংযতশীল যোগীয়ে প্ৰাণ আৰু অপান দুয়োকে ৰুদ্ধ কৰি প্ৰাণায়াম-পৰায়ণ হৈ থাকে।[৭] এই যোগীগণে যজ্ঞ সম্পাদনৰ পাচত চিত্তশুদ্ধি লাভ কৰি পৰমপদলাভ কৰে, কিন্তু যিবিলাকে যজ্ঞব্ৰত নকৰে, সিবিলাকে মুক্তি বা পৰমপদ লাভ কৰা নিলগতে থাওক, সামান্য সুখসাধ্য মনুষ্যলোক লাভ কৰাও সিবিলাকৰ ভাগ্যত নঘটে। এনে আৰু বহুবিধ যজ্ঞৰ বিষয় বেদত লিপিবদ্ধ হৈছে, সেই সকলো যজ্ঞ কৰ্মজনিত বুলি জানি তুমি তদ্ৰূপ আচৰণৰ দ্বাৰাই যুক্তিপন্থা অৱলম্বন কৰা।"[৮]

"হে পাৰ্থ! দ্ৰব্যযজ্ঞতকৈ জ্ঞানযজ্ঞ সৰ্ব্বতোভাৱে শ্ৰেষ্ঠ; কিয়নো, নিষ্কাম কৰ্ম্ম, তপস্যা, উপাসনা, শাস্ত্ৰাধ্যয়ন, যোগাভ্যাস আদি সমস্তই জ্ঞানলাভৰ অৰ্থে অনুষ্ঠিত। এতেকে, তুমি শ্ৰদ্ধাসহকাৰে তত্ত্বদৰ্শী গুৰুৰপৰা জ্ঞান উপদেশ গ্ৰহণ কৰা। হে পাণ্ডব! যি জ্ঞান লাভ কৰিলে তুমি আৰু মোহমুগ্ধ হব নালাগিব, আৰু যি জ্ঞানৰ প্ৰভাৱত সমস্ত প্ৰাণীতে পৰমাত্মাক দেখা পাবা, সেই জ্ঞান লাভ কৰা। সেই আত্মজ্ঞান লাভ কৰিব পাৰিলে, তুমি যদি পাপীৰো পাপী হোৱা, তথাপি সেই পাপ-সাগৰ জ্ঞান-তৰীৰে সৈতে অনায়াসে পাৰ হব পাৰিবা; আৰু ইয়াকো জানিবা যে, নিষ্পাপ নহলে আত্মজ্ঞান লাভ নহয়।"[৯]

"হে অৰ্জ্জুন! জ্বলা-জুয়ে যেনেকৈ কাঠখৰি আদি পুৰি ছাই কৰে, জ্ঞান-জুয়ে তেনেকৈ কৰ্ম্মৰাশিক ছাই কৰে। ইহলোকত আত্মজ্ঞানৰ সমান আন একোৱেই পৱিত্ৰতা-কাৰক নহয়, আন হাতে কৰ্ম্মযোগৰ দ্বাৰাই মানুহে কালত আপোনা-আপনি আত্মজ্ঞান লাভ কৰেগৈ। এতেকে, তোমাৰ তুল্য আত্মজ্ঞান-পিপাসু পুৰুষে নিষ্কাম কৰ্ম্মযোগ বা ভক্তিযোগ সাধনা কৰা একান্ত বাঞ্ছনীয়।"[১০]

"শ্ৰদ্ধাবান্, গুৰুভক্ত আৰু জিতেন্দ্ৰিয় পুৰুষসকল আত্ম-জ্ঞান লাভৰ ফলত সহজে মোক্ষপ্ৰাপ্ত হয়। কিন্তু, অজ্ঞানী, শ্ৰদ্ধাহীন আৰু সংশয়যুক্ত লোক অচিৰে বিনষ্ট হয়। হে ধনঞ্জয়! যি যোগৰ দ্বাৰাই সমস্ত কৰ্ম্ম ভগৱানত অৰ্পণ কৰা হৈছে, আত্মজ্ঞানৰ প্ৰভাৱত যাৰ সমস্ত সংশয় ছেদ্ হৈছে, কৰ্ম্মৰাশিয়ে সেই আত্মজ্ঞ লোকক আবদ্ধ কৰিব নোৱাৰে। এতেকে, হে ভাৰত! তুমি জ্ঞানৰূপ অস্ত্ৰেৰে অন্তৰৰ অজ্ঞানজনিত সংশয়সমূহক কাটি পেলোৱা, আৰু

(১) যিবোৰ যজ্ঞত ইন্দ্ৰ, অগ্নি, বায়ু, বৰুণ আদি দেৱতাৰ তৃপ্তি সাধন কৰা হয়, তাৰ নাম দৈৱযজ্ঞ।

(২) যি যজ্ঞত জীৱাত্মাক আহুতি প্ৰদান কৰা হয়, তাৰ নাম জ্ঞানযজ্ঞ।

(৩) নাদ, পুখুৰী আদি খনোৱা, দেৱমন্দিৰ আদি নিৰ্ম্মাণ কৰা, দুখী-দৰিদ্ৰক অন্ন-বস্ত্ৰদান ইত্যাদিৰ নাম দ্ৰব্যযজ্ঞ।

(৪) ক্ষুধা, তৃষ্ণা, শীত, উষ্ণ সহিষ্ণুতাৰ নাম তপোযজ্ঞ।

(৫) চিত্তবৃত্তি নিৰোধৰূপ অষ্টাঙ্গ যোগ সাধনৰ নাম যোগযজ্ঞ।

(৬) গীতা, ৪ৰ্থ আধ্যা, ২১—২৮ শ্লোক।

(৭) প্ৰাণ=নিশ্বাস; অপান=প্ৰশ্বাস। নিশ্বাস আৰু প্ৰশ্বাস দুয়োকো ৰুদ্ধ কৰি চিত্তস্থিৰ কৰাৰ নাম প্ৰাণায়াম।

(৮) গীতা, ৪ৰ্থ আধ্যা, ২৯—৩২ শ্লোক।

(৯) গীতা, ৪ৰ্থ আধ্যা, ৩৩—৩৬ শ্লোক।

(১০) গীতা, ৪ৰ্থ আধ্যা, ৩৭—৩৮ শ্লোক।

কৰ্ম্মযোগৰ আশ্ৰয় লৈ ৰণলৈ আগ বাঢ়া। অৰ্থাৎ, তুমি হৃদয়ত বৃথা সংশয় পোষণ নকৰিবা ; নিষ্কাম চিতেৰে যুদ্ধৰূপ ধৰ্ম্মানুষ্ঠানত প্ৰবৃত্ত হোৱা। উঠা, উঠা, অনতিপলমে সাজু হোৱা। তুমি ভৰত বংশৰ তিলক স্বৰূপ হৈ অবিবেকীৰ দৰে ধৰ্ম্মভ্ৰষ্ট নহবা।"[১]

ষোড়শ আধ্যা

কৰ্ম্মযোগ আৰু সন্ন্যাসযোগ

অৰ্জ্জুনে ভাবি চালে যে, আত্মজ্ঞান লাভৰ অৰ্থে ভগৱান শ্ৰীকৃষ্ণই কৰ্ম্ম আৰু ত্যাগ উভয়ৰে ব্যৱস্থা দিছে, অথচ কৰ্ম্ম আৰু ত্যাগ পোহৰ আৰু আন্ধাৰৰ নিচিনাকৈ পৃথকায়ো দেখুৱাইছে। পিচে, কোনটো তেওঁলৈ মঙ্গলজনক হব সেই বিষয়ক উপদেশ পাবলৈ অৰ্জ্জুনে এই বুলি সম্বোধন কৰিলে, "হে কৃষ্ণ! হে ভকতবৎসল হৰি! কৰ্ম্মযোগ আৰু কৰ্ম্মসন্ন্যাস দুয়োৰো তুমি ব্যাখ্যা দিছা, পিচে মোৰ পক্ষে কোন্‌টো মঙ্গলজনক হব, সেই বিষয়ে মোক নিশ্চয় কৰি কোৱা ; কিয়নো, কৰ্ম্মযোগ আৰু কৰ্ম্মসন্ন্যাস, বা কৰ্ম্ম আৰু ত্যাগ উভয়কে একে সময়তে একেজন লোকে সাধন কৰা সম্ভৱপৰ যেনে নেদেখোঁ।"[২]

ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনক এই বুলি সমিচাৰ দিলে, "সন্ন্যাস আৰু কৰ্ম্মযোগ দুয়ো মুক্তিৰ হেতু, তাৰ ভিতৰত সন্ন্যাস বা কৰ্ম্মত্যাগতকৈ কৰ্ম্মযোগ বিশিষ্ট।"[৩] কিয়নো, চিত্তশুদ্ধি নহলে অকল সন্ন্যাসত একো ফল নধৰে ; অথচ কৰ্ম্মযোগেৰে চিত্তশুদ্ধি লাভ কৰা যায়। এতেকে, হে পাৰ্থ! কৰ্ম্মযোগেই হে সম্প্ৰতি তোমাৰ পক্ষে কল্যাণকৰ। যাৰ দ্বেষ নাই, আকাঙ্ক্ষা নাই, যি নিৰ্দ্বন্দ্ব আৰু কামনাবৰ্জ্জিত, তেওঁৱেই নিত্যসন্ন্যাসী, আৰু তেনে জনেই মুক্তিলাভ কৰে। অজ্ঞানী জনে সন্ন্যাস আৰু কৰ্ম্মযোগৰ ফল ভিন্ বুলি ভাবে, কিন্তু পণ্ডিতসকলে সেইটো নকয়, সিবিলাকৰ মতে কৰ্ম্মযোগ আৰু সন্ন্যাস দুইৰো ভিতৰৰ এবিধৰ অনুষ্ঠান কৰিলেই উভয়ৰে ফল পোৱা যায়। কিয়নো, নিষ্কাম কৰ্ম্মযোগ কৰ্ম্মসন্ন্যাসৰ প্ৰকাৰান্তৰ মাথোন। ফলত, সন্ন্যাসীয়ে যি স্থান লাভ কৰে, কৰ্ম্মযোগীয়েও সেই স্থানকে লাভ কৰে, যি সন্ন্যাস আৰু কৰ্ম্মযোগ দুইকো একৰূপে দেখে, তেওঁৱেই যথাৰ্থ তত্ত্বদৰ্শী। হে মহাবাহো! কৰ্ম্মযোগলৈ আওকাণ কৰি সন্ন্যাসব্ৰত ধৰিলে বৰ দুখ পাবলগীয়া হয়। কিয়নো, কৰ্ম্মযোগ সাধন নহলে চিত্তশুদ্ধি নহয়। চিত্তশুদ্ধি নহলে আত্মজ্ঞান লাভ হব নোৱাৰে। কিন্তু, কৰ্ম্মযোগৰ দ্বাৰাই চিত্তশুদ্ধি লাভ কৰি যি সন্ন্যাসী হয়, তেওঁ সত্বৰে পৰমপদ বা মোক্ষলাভ কৰে। যি কৰ্ম্মযোগী, জিতেন্দ্ৰিয়, বিজিতদেহ, যাৰ সৰ্ব্বভূতাত্মাত নিজাত্মভাৱ, তেওঁ কৰ্ম্ম কৰিও কৰ্ম্মত নিৰ্লিপ্ত।"[৪]

"যি নিৰুদ্ধচিত্ত কৰ্ম্মযোগী, যি তত্ত্ববেত্তা, যি পৰমাৰ্থদৰ্শী, যি নিষ্কাম কৰ্ম্মৰ ফলত শুদ্ধচিত্ত, সেইসকলে দৰ্শন, শ্ৰৱণ, স্পৰ্শন, ঘ্ৰাণ, ভোজন, গমন, শয়ন, নিঃশ্বাসগ্ৰহণ, কথনত্যাগ, গ্ৰহণ, উন্মেষ আৰু নিমেষ কৰিও ভাবে যে, সিবিলাকে একোকে কৰা নাই, সেই সমস্তই ইন্দ্ৰিয়বৰ্গৰ কাৰ্য্য, সিবিলাকে আত্মাক অসঙ্গ নিষ্ক্ৰিয় বুলি জ্ঞান কৰে। আৰু, যি ঈশ্বৰত ফল অৰ্পণ কৰি কৰ্ম্মফলৰ কামনাবৰ্জ্জিত হৈ কৰ্ম্মানুষ্ঠান কৰে, পানীয়ে পদ্মপত্ৰক ভেজিব নোৱাৰাৰ দৰে, পাপে সিবিলাকক ভেদিব নোৱাৰে। অৰ্থাৎ, পানীয়ে সকলো বস্তুকে ভেজিব পাৰে, কিন্তু পদ্মপত্ৰত পানীৰ সেই শক্তি নাথাকে[৫], সেইদৰেই কৰ্ম্মই কৰ্ম্মানুষ্ঠানকাৰী মাত্ৰকেই কামপাশত আবদ্ধ কৰে, কিন্তু যি ফলকামনাবৰ্জ্জিত কৰ্ম্মানুষ্ঠানকাৰী, সিবিলাকক কামপাশে বান্ধিব নোৱাৰে। কৰ্ম্মযোগীগণে ফল কামনা পৰিত্যাগ

(১) গীতা, ৪ৰ্থ আধ্যা, ৩৯—৪২ শ্লোক।

(২) গীতা, ৫ম আধ্যা, ১ম শ্লোক।

(৩) সন্ন্যাসঃ কৰ্ম্মযোগশ্চ নিঃশ্ৰেয়স্কৰাবুভৌ।
তয়োস্তু কৰ্ম্মসংন্যাসাৎ কৰ্ম্মযোগো বিশিষ্যতে।
—গীতা, ৫ম আধ্যা, ২য় শ্লোক।

(৪) গীতা, ৫ম আধ্যা, ৩—৯ম শ্লোক।

(৫) ব্ৰহ্মণ্যাধায় কৰ্ম্মাণি সঙ্গং ত্যক্ত্বা কৰোতি যঃ।
লিপ্যতে ন স পাপেন পদ্মপত্ৰমিবাম্ভসা॥
—গীতা, ৫ম আধ্যা, ১০ম শ্লোক।

কৰি চিত্তশুদ্ধিৰ উদ্দেশে কেৱল শৰীৰ, মন, বুদ্ধি আৰু ইন্দ্ৰিয়াদিৰ দ্বাৰাহে কাম কৰে। নিষ্কাম কৰ্ম্মযোগীয়ে মোক্ষৰূপ শান্তি লাভ কৰে, কিন্তু কামী অযোগীয়ে ভোগ-বাসনা হেতুকে ঘূৰি ঘূৰি কামপাশত বান্ধ খায়।"[১]

"জিতেন্দ্ৰিয় আত্মদৰ্শী পুৰুষে মনৰপৰা কৰ্ম্মসমূহক বাজ কৰি দি, নবদ্বাৰবিশিষ্ট[২] হৈ দেহাৰ মাজত স্থিতি কৰে, তেওঁ নিজে কোনো কাৰ্য্য নকৰে, আৰু আনকো প্ৰবৰ্ত্তিত নকৰে, কাৰণ, তেওঁ সততে নিজ স্বাতন্ত্ৰ্য ৰক্ষা কৰে। ঈশ্বৰ বা আত্মা স্বয়ং কৰ্ম্ম-উৎপাদক নহয়, তেওঁ ফলদাতাও নহয়, ফলভাগীও নহয়। অজ্ঞানৰূপে মায়া বা অনাদি অবিদ্যা বা অনন্ত প্ৰকৃতি হে কাৰ্য্যক্ষেত্ৰ বিয়পি থাকে। আত্মা জীৱৰ পাপ পুণ্যৰ গৰাকী নহয়।"[৩]

"আত্মবিচাৰৰ ফলত যাৰ অজ্ঞানতা গুচিছে, তেওঁৰ অন্তৰত সূৰ্য্যৱৎ ব্ৰহ্মজ্যোতি প্ৰৱেশ কৰে। যি ব্ৰহ্মনিষ্ঠ আৰু পৰমাত্মাতে যাৰ আত্মভাৱ, আৰু জ্ঞানৰ প্ৰভাৱত যাৰ পাপ পুণ্য নিবৃত্ত হৈছে, সেই যোগী সন্ন্যাসীয়ে মুক্তিপদ লাভ কৰে, জন্ম মৃত্যুৰ বাব আৰু তেওঁৰ নাথাকে।[৪]

"তত্বজ্ঞ পণ্ডিতৰ চকুহে ব্ৰাহ্মণ, গো, হস্তী, কুকুৰ আৰু চাণ্ডাল, সকলো প্ৰকাৰ প্ৰাণীতে একেভাৱে ব্ৰহ্মদৰ্শন কৰে, তেওঁৰ মানত কুকুৰ বা যোগীৰ আত্মাৰ কোনো তাৰতম্য নাই। ব্ৰহ্মনিৰ্দোষ আৰু সমস্বৰূপ সমদৰ্শী পুৰুষে ব্ৰহ্মত স্থিতি কৰে। গতিকে, ইহলোকত তেওঁ সংসাৰজয়ী হব পাৰে। ব্ৰহ্মজ্ঞ পুৰুষ সৰ্ব্বত্ৰতে সমদৰ্শী, গতিকে তেওঁৰ মানত প্ৰিয় বা অপ্ৰিয় ভাব নাই, ভাল বা বেয়া বিচাৰ নাই, সৰু-বৰৰ জ্ঞান নাই, তেওঁৰ মানত সকলো সমান। বাহ্য-বিৰহিত আসক্তিশূন্য হলে অন্তৰত সুখ-শান্তিৰ অনুভৱ হয়, তাৰ পাচত আত্মজ্ঞান লাভ কৰিলে সেই সুখ-শান্তি অক্ষয় অব্যয় হয়। হে কুন্তীনন্দন। যিবোৰ সুখভোগ ইন্দ্ৰিয়বিষয়ৰপৰা উৎপন্ন, সেইবোৰ নিশ্চয় দুখৰ কাৰণ, জ্ঞানীজনে তাত প্ৰীতি লাভ নকৰে।"[৫]

"দেহ ত্যাগ কৰাৰ আগেয়েই,[৬] মনোবেগ ইন্দ্ৰিয়শক্তি সঞ্চাৰিত নৌহওঁতেই, যি সেই বেগ চম্ভালি ৰাখিব পাৰে, তেওঁৰেই যোগী, তেওঁৰেই সুখী, দুখৰ আশ্ৰয়স্থান ভোগ-বাসনাৰপৰা যি যিমান আঁতৰত থাকে, তেওঁ তিমানেই সুখী। আত্মাতেই যাৰ প্ৰকাশ, তেওঁৰেই ব্ৰহ্মনিষ্ঠ যোগী, তেওঁৰেই ব্ৰহ্মনিৰ্ব্বাণপ্ৰাপ্ত হয়। আৰু, যি নিষ্পাপ সন্ন্যাসী, সংশয়বৰ্জ্জিত একাগ্ৰচিত্তীয়া, সৰ্ব্বভূতহিতৈষী, তেওঁৰেই প্ৰকৃত আত্মজ্ঞানী, তেওঁৰেই ব্ৰহ্মনিৰ্ব্বাণ প্ৰাপ্ত হয়।"[৭]

"যাৰ হৃদয়ৰপৰা কাম-ক্ৰোধৰ বীজ বিনষ্ট হৈছে, আৰু তাৰ নিমিত্তে যাৰ চিত্ত সংযত হৈছে, যাৰ প্ৰাণত আত্মা আৰু পৰমাত্মাৰ একত্ব জ্ঞান জন্মিছে, তেওঁৰ জীৱনে মৰণে সকলো অবস্থাতেই নিৰ্ব্বাণপদ লাভ হয়। মনৰপৰা সকলো বাহ্য বিষয় বাজ কৰি, দুই চকুক ভ্ৰূযুগলৰ মাজত স্থিতি কৰাই[৮] প্ৰাণ আৰু অপান[৯] বায়ুক নাকৰ বিন্ধাৰ মাজত ৰুদ্ধ ৰাখি, যি ইন্দ্ৰিয় আৰু মনক জয় কৰিছে, আৰু ইচ্ছা, ভয়, ক্ৰোধ ইত্যাদিক বশ কৰি যি বিষয়বিৰাগী হব পাৰিছে, সেই যোগী পুৰুষ সততে নিৰ্ব্বাণপ্ৰাপ্ত হয়।"[১০]

"ভগৱন্তক যজ্ঞ আৰু তপস্যাদিৰ ভোক্তা, সৰ্ব্বলোকৰ

---

(১) গীতা, ৫ম আধ্যা, ১১—১২ শ্লোক।

(২) দুই চকু, দুই কাণ, নাকৰ দুই বিন্ধা, আৰু এখন মুখ—এই সাতখন উৰ্দ্ধদ্বাৰ, মলদ্বাৰ আৰু মূত্ৰদ্বাৰ—এই দুখন অধোদ্বাৰ, এয়ে-সেয়ে ৯ খন দ্বাৰ লগা দেহা-ঘৰৰ মাজত জীৱাত্মা অৱস্থিত।

(৩) গীতা, ৫ম আধ্যা, ১৩—১৫ শ্লোক।

(৪) গীতা, ৫ম আধ্যা, ১৬—১৭ শ্লোক।

(৫) গীতা, ৫ম আধ্যা, ১৮—২২ শ্লোক।

(৬) পঞ্চম আধ্যাৰ ২৩ শ্লোকৰ 'প্ৰাক্ শৰীৰ বিমোক্ষণাৎ' মানে কোনো কোনো টীকাকাৰে 'শৰীৰ ত্যাগৰ আগেয়ে' বুলি ব্যাখ্যা দিছে, কিন্তু কৃষ্ণানন্দ-স্বামীকৃত গীতাৰ্থ সন্দীপনী মতে দেহ অহং ভাবশূন্য হৈ সন্ন্যাসাশ্ৰমত অৱস্থিত হোৱাৰ পূৰ্ব্বতে, অৰ্থাৎ গৃহাশ্ৰমত থাকোঁতেই।

(৭) গীতা, ৫ম আধ্যা, ২৩—২৫ শ্লোক।

(৮) চকুৰ দৃষ্টি ভ্ৰূযুগলৰ সন্ধিস্থলত স্থিৰ ৰাখিব পাৰিলে চিত্তৰ একাগ্ৰতা বুদ্ধি লাভ হয়।

(৯) নিশ্বাস আৰু প্ৰশ্বাস।

(১০) গীতা, ৫ম আধ্যা, ২৬—২৮ শ্লোক।

মহেশ্বৰ আৰু সৰ্ব্বভূতৰ এক মাথোন সুহৃৎ[1] বুলি তত্ত্বজ্ঞ হৈ সাধকসকলে পৰমপদ বা মুক্তি লাভ কৰে; আৰু ইহলোকতো তেনে সাধুগণ সংসাৰপাশৰপৰা বিমুক্ত হয়।"[2]

সপ্তদশ আধ্যা

যোগী আৰু সন্ন্যাসী

যোগী কোন্, সন্ন্যাসী কোন্ আৰু সিবিলাকৰ ভিতৰত কাৰ কি ধৰ্ম্ম, কাৰ কি কৰ্ম্ম, কাৰ কি লক্ষ্য ইত্যাদি বিষয়ত অৰ্জ্জুন সন্দিহান হোৱাত, ভগৱান শ্ৰীকৃষ্ণই সেই সেই বিষয়ে এই বুলি বিশদ বুজনি দিবলৈ আৰম্ভ কৰিলে, "যি কৰ্ম্মফললৈ আশা নাৰাখি নিত্য-নৈমিত্তিক কাৰ্য্যৰ অনুষ্ঠান কৰে, নিষ্ক্ৰিয় আৰু নিৰগ্নি[3] নহলেও, তেওঁৱেই যোগী, তেওঁৱেই সন্ন্যাসী। নিষ্কাম কৰ্ম্মযোগৰ দ্বাৰাই আত্মজ্ঞান লাভ আৰু কৈবল্যমুক্তি বা মোক্ষপ্ৰাপ্তিয়েই দুইৰো একেটা লক্ষ্য।[4] হে পাণ্ডৱ! শ্ৰুতিত যাক সন্ন্যাস বোলে, সেয়ে যোগ[5] বুলি জানিবা, কিয়নো, সন্ন্যাসৰ বলেৰে সংকল্পত্যাগী নহলে যোগী হোৱা অসম্ভৱ। যি মুনিয়ে যোগাৰূঢ় হবলৈ ইচ্ছা কৰে, কৰ্ম্মই তেওঁৰ প্ৰথম সোপান, কিয়নো, কৰ্ম্মানুষ্ঠান নহলে চিত্তশুদ্ধি নহয়, চিত্তশুদ্ধি নহলে যোগৰ উপযোগী নহয়। আৰু, যোগাৰূঢ় হলেও, তেওঁত কৰ্ম্মসন্ন্যাস ঘটে, কিয়নো, কামনাত্যাগী সন্ন্যাসবৃত্তি নজন্মিলে যোগাৰম্ভণ নহয়। সাধক মুনি যেতিয়া, সৰ্ব্বসংকল্পত্যাগী[6] শব্দাদি বিষয়ত অনাসক্ত হয়[7], তেতিয়াই তেওঁ সমাধিস্থ বা যোগাৰূঢ়ৰ অৰ্থে যোগ্য হয়।"[8]

"বিবেকবুদ্ধিৰ দ্বাৰাই জীৱাত্মাক সংসাৰৰপৰা উদ্ধাৰ কৰিব লাগে, আত্মাক অৱসন্ন কৰিব নালাগে; কিয়নো, আত্মাই আত্মাৰ শত্ৰু।[9] অৰ্থাৎ, আপোনাত পৰ আপোনাৰ বন্ধু আৰু কোনো হব নোৱাৰে, আপোনাৰ হিত আপুনি নিচিন্তিলে অন্যৰ চিন্তাই সিমান গুণ দিব নোৱাৰে। আপুনি আপোনাক সাৱধানে নচলালে, আপুনি আপোনাক শত্ৰুতা কৰা হয়। এতেকে, যি আত্মাই আত্মাক[10] বশীভূত কৰিছে, সেই আত্মাই আত্মাৰ পৰমবন্ধু, আৰু যি আত্মা আত্মাক বশীভূত কৰিবলৈ অসমৰ্থ, সেই আত্মা আত্মাৰ বিষম শত্ৰু। কিয়নো, অদম্য জীৱাত্মাই ইন্দ্ৰিয়াদিৰ প্ৰভাৱত আত্মাক বিচলিত কৰি পৰমাত্মালাভৰ পথৰপৰা পিছলাই নি শত্ৰুতাৰ আচৰণ কৰে। যি জীৱাত্মা শীত, উষ্ণ, সুখ, দুখ, মান, অপমান, ৰাগ, ক্ৰোধ ইত্যাদি বৰ্জ্জিত, সেই আত্মাতে পৰমাত্মা অবিচলিত ভাৱে বিদ্যমান থাকে, আৰু যি জ্ঞান-বিজ্ঞানবিশিষ্ট, যি বিকাৰশূন্য আৰু জিতেন্দ্ৰিয়,

---

(১) ভগৱানক স্থূলভাৱে দৰ্শন কৰিলে জীৱে মুক্তি লাভ কৰিবগৈ নোৱাৰে, তেওঁক সূক্ষ্মভাৱে জানিব আৰু সাক্ষাৎ স্বৰূপে দেখাদি দেখিব লাগে, সেই অৰ্থে তত্ত্বদৰ্শী আত্মজ্ঞানী ভগৱান শ্ৰীকৃষ্ণই তেওঁৰ পৰমভক্ত শিষ্য অৰ্জ্জুনৰ আগত নিজক সাক্ষাৎ ভগৱান স্বৰূপে দেখা দি, "মাং ভোক্তাৰং যজ্ঞতপসাং সৰ্ব্বলোকমহেশ্বৰম্ সৰ্ব্বভূতানাং সুহৃদং" বুলি আত্মতত্ত্বজ্ঞান প্ৰকাশ কৰিছে।

(২) গীতা, ৫ম আধ্যা, ২৯ শ্লোক।

(৩) বহিৰনুষ্ঠান যোগ্য সমস্ত কাৰ্য্যৰ প্ৰতি বৈৰাগ্য।

(৪) অনাশ্ৰিতঃ কৰ্ম্মফলং কাৰ্য্যং কৰ্ম্ম কৰোতি যঃ।
স সংন্যাসী চ যোগী চ ন নিৰগ্নিৰ্ন চাক্ৰিয়ঃ॥
—গীতা, ৬ আধ্যা, ১ শ্লোক।

(৫) মহৰ্ষি পতঞ্জলিৰ যোগসূত্ৰৰ আৰম্ভণত কোৱা হৈছে,—
"যোগশ্চিত্তবৃত্তিনিৰোধঃ"; অৰ্থাৎ, মনৰ সমস্ত বৃত্তি নিৰোধৰ নাম যোগ।

(৬) সংকল্পৰপৰাই কামনাৰ উৎপত্তি। এতেকে, সংকল্প ত্যাগ কৰিলেই কামনাৰ বীজ নাশ হয়।

(৭) নিত্য, নিমিত্তিক, কাম্য, নিষিদ্ধ কোনো বিধৰ কৰ্ম্মতে চিত্তবৃত্তি প্ৰবৃত্ত নোহোৱাকে অনাসক্ত বোলা যায়।

(৮) গীতা, ৬ষ্ঠ আধ্যা ২—৪ শ্লোক।

(৯) উদ্ধৰেদাত্মনাত্মানং নাত্মানমৱসাদয়েৎ।
আত্মৈৱ হ্যাত্মনো বন্ধুৰাত্মৈৱ ৰিপুৰাত্মনঃ॥
বন্ধুৰাত্মাত্মনস্তস্য যেনাত্মৈৱাত্মনা জিতঃ।
অনাত্মনস্তু শত্ৰুত্বে বৰ্ত্তেতাত্মৈৱ শত্ৰুৱৎ॥
—গীতা, ৬ষ্ঠ আধ্যা, ৫—৬ শ্লোক।

(১০) জিতাত্মনঃ প্ৰশান্তস্য পৰমাত্মা সমাহিতঃ।
শীতোষ্ণ সুখদুঃখেষু তথা মানাৱমানয়োঃ॥
—গীতা, ৬ষ্ঠ আধ্যা, ৭ম শ্লোক।

যি শিল, জোন, সোণ, মাটি সকলো বস্তুকে সমান দেখে, তেওঁকে যোগাৰূঢ় বুলিব পাৰি।"[১]

"সুহৃদ, মিত্ৰ, অৰি, উদাসীন, মধ্যস্থ, দ্বেষ্য, বন্ধু, সাধু, অসাধু[২] আৰু অন্যান্য সকলো জীৱকে যি সমান জ্ঞান কৰে, তেওঁৱেই বিশিষ্ট পুৰুষ; এই বিশিষ্টতাই যোগাৰূঢ় পুৰুষৰ পূৰ্ব্বলক্ষণ। যোগাৰূঢ় পুৰুষে সততে নিৰ্জনত বাস কৰি, ইন্দ্ৰিয়াদি সংযত কৰি, আশা আৰু পৰিগ্ৰহ ত্যাগ কৰি, চিত্তক সমাহিত কৰিব লাগে। বৰ ওখও নহয়, নিচেই চাপৰো নহয়, এনে পৱিত্ৰ ঠাইত[৩], তলত কুশাসন, তাৰ ওপৰত হৰিণা বাঘৰ ছাল, আৰু তাৰ ওপৰত কোমল বস্ত্ৰ[৪] পাৰি ৰোগীয়ে উপবেশন কৰাৰ বিধি। এনে পৱিত্ৰ আসনত উপবিষ্ট হৈ চিত্ত, ইন্দ্ৰিয় আৰু ক্ৰিয়া সংযত কৰি একাগ্ৰচিত্তেৰে চিত্তশুদ্ধিৰ যোগাকাঙ্ক্ষী পুৰুষে সমাধি অভ্যাস কৰাৰ প্ৰয়োজন। যোগাভ্যাসী পুৰুষে শিৰ, শৰীৰ আৰু কণ্ঠ পোন্‌কৈ নীৰলাভাৱে ৰাখি, নিজৰ নাকৰ আগটি মাথোন চাই, আন কোনোফালে নাচাই সমাধিস্থ হোৱাৰ বিধি। তাৰ পাচত, প্ৰশান্তচেতা, নিৰ্ভয়, ব্ৰহ্মচৰ্য্যশীল সংযতচিত্ত, মদ্গতচিত্ত, মৎপৰায়ণ হৈ যোগাভ্যাসী লোক সমাধিস্থ হোৱাৰ নিয়ম। এই নিয়মে সংযতচিত্ত সমাধিস্থ সাধকে মন নিৰোধ কৰি ঈশ্বৰৰ স্বৰূপভূত নিৰ্ব্বাণৰূপ পৰমশান্তি[৫] লাভ কৰে। হে অৰ্জ্জুন! অতিভোজীৰো সমাধি নহয়; অনাহাৰীৰো নহয়; অতি নিদ্ৰায়ো যোগ দুৰ্ব্বল কৰে, অনিদ্ৰায়ো কৰে।[৬] যি সমাধিস্থ লোকে নিয়মিত আহাৰ-বিহাৰ কৰে, নিয়মিত নিদ্ৰা-জাগৰণ কৰে, তেওঁৰ যোগ সহজে সিদ্ধি হয়। ইত্যাদি আচৰণৰ দ্বাৰাই যেতিয়া চিত্তসংযত হৈ আন্তৰিক বৃত্তিৰ ক্ৰিয়া, চেষ্টা, স্পৃহা সকলোতে বৈৰাগ্য লাভ হয়, আত্মা পৰমাত্মাত সমাহিত হয়, আৰু পৰমাত্মাত তন্ময় হোৱা যায়, তেতিয়াই যোগীৰ যোগ সিদ্ধ হয়।"[৭]

যোগসূত্ৰৰ সমাধি আৰু সাধনা বহলকৈ বৰ্ণাবৰ অৰ্থে ভগৱান শ্ৰীকৃষ্ণই এই বুলি ক্ৰমাৎ তাৰ ব্যাখ্যা বথানিবলৈ ধৰিলে, "হে অৰ্জ্জুন! য'ত বায়ুৰ গতি নাই, তাত বন্তি অচঞ্চলভাৱে জ্বলে, সেই অনুৰূপে বাহ্য বিষয়েৰে সংসৰ্গ নথকা হেতুকে যোগীৰ অন্তৰৰ বৃত্তিবিলাক কিঞ্চিৎমানো বিচলিত নহয়।[৮] যি অৱস্থাত চিত্ত যোগাভ্যাসৰ দ্বাৰাই নিৰুদ্ধ হৈ উপশমপ্ৰাপ্ত হয়, যি অৱস্থাত ইন্দ্ৰিয়ৰ অতীত আৰু কেৱল শুদ্ধবুদ্ধি গ্ৰাহ্য নিৰতিশয় সুখ অনুভৱ কৰা যায়, যি অৱস্থাত স্থিত হলে আত্মস্বৰূপ ভাবৰপৰা পিছলিবৰ ভয় নাই, যি অৱস্থা লাভ হলে আন সমস্তকে সামান্য যেন বোধ হয়, যি অৱস্থাত থিতাপি হলে অতি অসহনীয় দুখেও টলাব নোৱাৰে, হে পাৰ্থ, সেই অৱস্থাৰ নামেই যোগ, সেই যোগত লেশমাত্ৰও দুখ নাই, এই যোগ মুকলি প্ৰাণেৰে অভ্যাস কৰা যুগুত।"[৯]

"সংকল্পজাত কামনাবোৰ পৰিত্যাগ কৰি আৰু মনৰ বলেৰে ইন্দ্ৰিয়বিলাকক বিষয়-ব্যাপাৰৰপৰা নিবৃত্ত কৰি, ধৈৰ্য্যশীল বুদ্ধিৰ বলেৰে ক্ৰমাৎ ধীৰে ধীৰে চিত্ত নিৰুদ্ধ কৰি,

---

(১) গীতা, ৬ আধ্যা, ৮ম শ্লোক।

(২) যি উপকাৰৰ আশা নৰখাকৈ উপকাৰ কৰে, যি উপকাৰৰ আশাত উপকাৰ কৰে; যি নিজৰ অপকাৰ নোহোৱাতো আনৰ অপকাৰ চিন্তে, যি পৰৰ হিত বা অহিত একোতে প্ৰবৃত্ত নহয়; যি বিবাদ ভাঙ্গি শান্তি স্থাপন কৰে, যি স্বাৰ্থ ৰাখি আনক উপকাৰ কৰে; এনে সকলোকে যি সমান চকুৰে চাব পাৰে তেওঁৱেই সমাধিস্থ বা যোগাৰূঢ় হবৰ উপযুক্ত।—কৃষ্ণানন্দস্বামীকৃত গীতাৰ্থ সন্দীপনী।

(৩) মাটি বা শিলৰ ওপৰত আসন পতাই বিশিষ্ট বিধি।

(৪) বনাত বা কম্বল যোগাসনত পাৰিবলৈ বিশিষ্ট বস্ত্ৰ।

(৫) যি অনিৰ্ব্বচনীয় অৱস্থা প্ৰাপ্ত হলে জীৱৰ বাসনা বিকাশৰ বীজ বিদগ্ধ হয়, তাৰ নাম পৰমনিৰ্ব্বাণ।—কৃষ্ণানন্দস্বামীকৃত গীতাৰ্থসন্দীপনী।

(৬) যোগীয়ে পাকস্থলীৰ দুভাগ অন্নেৰে আৰু এভাগ পানীৰে পূৰণ কৰিব; বাকী চতুৰ্থভাগ বায়ুৰ গতি-বিধিৰ কাৰণে উদংকৈ ৰাখিব। ৰাতিৰ প্ৰথম আৰু চতুৰ্থ প্ৰহৰ ভগবদাৰাধনা, দ্বিতীয় আৰু তৃতীয় প্ৰহৰ নিদ্ৰাত নিয়োজিত কৰিব লাগে।

(৭) গীতা, ৬ আধ্যা, ৯—১৮ শ্লোক।

(৮) যথা দীপো নিবাতস্থো নেঙ্গতে সোপমা স্মৃতা।
যোগিনো যতচিত্তস্য যুঞ্জতো যোগমাত্মনঃ॥
—গীতা, ৬ আধ্যা, ১৯ শ্লোক।

(৯) গীতা, ৬ আধ্যা, ২০—২৩ শ্লোক।

আৰু মনক আত্মাত নিহিত কৰি, কিঞ্চিৎমানো আন চিন্তা নকৰি যোগীয়ে যোগ সাধন কৰিব লাগে। যি যি বিষয়লৈ চঞ্চল চিত্তৰ ধাউতি প্ৰবল, যত্নেৰে সৈতে সেই সেই বিষয়ৰ-পৰা চিত্তক ঘূৰাই আনি আত্মাৰ অনুগত কৰিব লাগে। প্ৰশান্তচিতীয়া যোগীয়ে যেতিয়া ৰজ আৰু তমোগুণ বৰ্জ্জিত হৈ উঠে, তেতিয়া তেওঁ নিষ্পাপ হৈ অনায়াসে ব্ৰহ্মত্ব লাভ কৰি অনুপম সুখ-শান্তি অনুভৱ কৰে। হে অৰ্জ্জুন! সৰ্ব্বত্ৰ সমদৰ্শী যোগী পুৰুষে সকলো জীৱতে আত্মাক আৰু আত্মাত সকলো জীৱকে দেখা পায়।"[১]

"যি যোগীয়ে জগতৰ সকলো বস্তুতে আত্মৰূপ ভগৱানক দেখা পায়, আৰু আত্মাত সকলোকে দেখে, সেই যোগৰ ওচৰত পৰমাত্মা পৰোক্ষ নহয়; পৰমাত্মাৰ ওচৰতো সেই যোগী পৰোক্ষ নহয়। যি যোগীয়ে সৰ্ব্বভূতস্থিত বা সকলো জীৱতে ব্যাপ্ত পৰমাত্মাক আপোনাত অভিন্নভাৱে ধাৰণা কৰি অপৰোক্ষ জ্ঞান কৰে, সেই যোগী যি অৱস্থাতে নাথাকক, তেওঁ অভেদৰূপে পৰমাত্মাত স্থিতি কৰে। হে অৰ্জ্জুন! যি মানুহে নিজৰ নিচিনাকৈ আনৰো সুখ-দুখৰ প্ৰতি সমানে দৃষ্টি ৰাখে, তেওঁৱেই সৰ্বাতকৈ শ্ৰেষ্ঠ,– তেওঁ যোগীৰো যোগী, কিয়নো, মনৰ সম্পূৰ্ণ বিনাশ আৰু কামনাৰ সম্পূৰ্ণ ক্ষয় সাধিব নোৱাৰালৈকে কোনো যোগীয়ে সেই অৱস্থা লাভ কৰিব নোৱাৰে।"[২]

অৰ্জ্জুনে নিবেদন কৰিলে, "হে মধুসূদন! তুমি আত্মাৰ যি সমতাৰূপ যোগতত্ত্ব ব্যাখ্যা কৰিলা, মনৰ থিতি তাত যে সৰহ পৰ ঠাৱৰিব, মোৰ এনে বোধ হোৱা নাই, কাৰণ, হে কৃষ্ণ, মন অতি চঞ্চল, অতি ইন্দ্ৰিয়পৰায়ণ, অতি বলৱন্ত, অতি দৃঢ়।"[৩]

ভগৱান শ্ৰীকৃষ্ণই এই বুলি তাৰ সমিধান দিলে, "হে মহাবাহো! মন যে চঞ্চল আৰু সহজে নিগৃহীত নহয় তাত মোৰ কিঞ্চিৎমানো সন্দেহ নাই; কিন্তু হে কুন্তী-নন্দন! অভ্যাস আৰু বৈৰাগ্যৰ বলত সেই অসাধ্যও সাধ্য হৈ পৰে। অসংযতচিত্ত মানুহৰ পক্ষে এনে যোগ অৱশ্যে সহজ সাধ্য নহয়; কিন্তু যি লোক যত্নশীল আৰু যাৰ চিত্ত সংযত হৈছে, তেনে যোগীয়ে সদুপায়ৰ দ্বাৰাই সেই কাৰ্য্য নিশ্চয় সাধিব পাৰে।[৪] কিয়নো, অভ্যাসৰ বলত[৫] সকলো সিদ্ধ হয়। অৱশ্যে, তাৰ নিমিত্তে পুৰুষে পুৰুষাৰ্থ কৰিব লাগে।"

অৰ্জ্জুনে সুধিলে, "হে কৃষ্ণ! যি ভগৱানভক্ত হৈও নিজ চিত্তচাঞ্চল্য দোষত যোগভ্ৰষ্ট হয়, যোগসিদ্ধি নহলে তেওঁৰ কি গতি হব? হে মহাবাহো![৬] সেই তত্ত্ব-জ্ঞানবিমূঢ় আৰু কৰ্ম্মউপাসনাভ্ৰষ্ট লোক বতাহত পাহ পাহ হোৱা মেঘৰ নিচিনাকৈ নষ্ট নাযাব নে? হে কৃষ্ণ! মোৰ এই সংশয় তুমি সৰ্ব্বতোভাৱে নাশ কৰি দিয়া। তোমাত বাজে আন কেৱেঁ মোৰ এই সংশয় ভঞ্জন কৰিব নোৱাৰে।"[৭]

ভগবান শ্ৰীকৃষ্ণই এই বুলি বুজনি সমিচাৰ দিলে, "হে পাৰ্থ! যোগভ্ৰষ্ট পুৰুষৰ ইহলোক বা কাচিতো নষ্ট নহয়। হে বাপি।[৮] শাস্ত্ৰবিহিত অনুষ্ঠানকাৰী[৯] লোকৰ কোনো দুৰ্গতি নহয়। যোগভ্ৰষ্ট লোক পৰলোকত পুণ্যাত্মাৰ স্থান

---

(১) গীতা, ৬ আধ্যা, ২৪—২৯ শ্লোক।

(২) গীতা, ৬ আধ্যা, ৩০—৩২ শ্লোক।

(৩) গীতা, ৬ আধ্যা, ৩৩—৩৪ শ্লোক।

(৪) গীতা, ৬ আধ্যা, ৩৫—৩৬ শ্লোক।

(৫) 'অভ্যাসৰ নৰ, কৰ্ণপথে কৰে শৰ' এই নীতি-বচনফাঁকিৰ পম্ খেদি নিলেও এই আঁতিগুৰিতে ওলায়গৈ। অভ্যাস আৰু পুৰুষাৰ্থৰ বলেৰে 'অদৃষ্টৰ লিখন' খণ্ডোৱাও অসম্ভৱ নহয়।

(৬) ভগৱান শ্ৰীকৃষ্ণই ভক্তবৃন্দৰ আপদ-বিপদ বিঘ্ন-অমঙ্গলাদি নিজ তত্ত্বজ্ঞান আৰু মঙ্গলময় বাহুবলেৰে বিনাশ কৰে হেতুকে এইখিনিত অৰ্জ্জুনে শ্ৰীকৃষ্ণক মহাবাহো বুলি সম্বোধন কৰিছে। বিশেষ, যশোদাৰঞ্জন নন্দনন্দন গোবৰ্দ্ধনধাৰী কংসচানুৰমৰ্দ্দন শিশুপাল-জৰাসন্ধাৰি কেশৱ মধুসূদন মানৱশ্ৰেষ্ঠ দৈৱকীতনয় বাসুদেৱৰ ভুজবলৰ নিদৰ্শন ইতিপূৰ্ব্বে বুৰিবুৰিকৈ পোৱা গৈছে।

(৭) গীতা, ৬ আধ্যা, ৩৭—৩৯ শ্লোক।

(৮) পৰমভক্ত অৰ্জ্জুনে ভগৱান শ্ৰীকৃষ্ণক পৰমগুৰু জ্ঞান কৰি তত্ত্ব প্ৰশ্ন কৰাৰ হেতুকে শ্ৰীকৃষ্ণই অৰ্জ্জুনক সমনীয়া 'সখি' সম্বোধন নকৰি, তেওঁক শিষ্য জ্ঞান কৰি 'বাপি' সম্বোধনেৰে তেওঁৰ প্ৰতি বাৎসল্য ভাব দেখুৱাইছে।

(৯) শ্ৰদ্ধা, সত্য, ব্ৰহ্মবিচাৰ আৰু সন্ন্যাস—এই চাৰিটা শাস্ত্ৰবিহিত অনুষ্ঠান।

লাভ কৰি, তাতে বহুকাল স্থিতি কৰি, পুনঃ পৃথিৱীত পৱিত্ৰ শ্ৰীমন্তৰ ঘৰত জন্মগ্ৰহণ কৰে। বিষয়বাসনাৰ বশৱৰ্ত্তী হৈ মনোবৈকল্যত যোগভ্ৰষ্ট হোৱাৰ ইমানেই পৰিণাম। নাইবা, যোগভ্ৰষ্ট লোকে পৃথিৱীত যোগনিষ্ঠ জ্ঞানী লোকৰ ঘৰত জন্মগ্ৰহণ কৰিবলগীয়া হয়; এনে জন্ম অতি দুৰ্ল্লভ। অল্পায়ু বা অকালমৃত্যু হেতুকে যাৰ যোগসিদ্ধি নোহোৱাকৈ ৰয়, তেনে যোগ ভ্ৰষ্টৰ পৰিণাম এই। আৰু, হে কুৰুনন্দন! যোগভ্ৰষ্ট লোকে পৃথিৱীত পুনৰপি জন্মগ্ৰহণ কৰিলে তেওঁৰ পূৰ্ব্বকৃত জ্ঞানসাধিনী বুদ্ধি পুনঃ লাভ হয়, আৰু সিমানৰে-পৰা পুনৰপি মুক্তিৰ অৰ্থে যত্ন কৰে; তেওঁ আকৌ উলটি গুৰিৰপৰা জ্ঞানসাধনা কৰিবলগীয়া নহয়। যোগভ্ৰষ্ট লোকৰ পূৰ্ব্বাভ্যাসৰ গুণত স্বভাৱতে প্ৰবৃত্তি জন্মে। জন্ম-জন্মান্তৰীয় পুণ্যফলৰ বলত ক্ৰমাৎ সাধনা পকি উঠিলে যোগভ্ৰষ্ট পুণ্যাত্মাই শেহান্তৰত নিজাপিকৈ মুক্তিলাভ কৰে।”[১]

শেহান্তৰত, ভগৱান শ্ৰীকৃষ্ণই এই বুলি ভক্তিযোগৰ অবাৰিত বুজনি দিলে, “মোৰ মনেৰে তত্ত্বজ্ঞানী যোগী তপস্বীতকৈও শ্ৰেষ্ঠ, পৰোক্ষজ্ঞানীতকৈও শ্ৰেষ্ঠ, কৰ্ম্মীতকৈও শ্ৰেষ্ঠ। এতেকে, হে অৰ্জ্জুন! তুমি তত্ত্বসাধক যোগী হোৱাঁ; আৰু ইয়াকো মনত ৰাখিবাঁ যে, যি যোগীয়ে ভগৱদ্ভক্তিপৰায়ণ হৈ তন্ময় চিত্তেৰে ভগৱন্তক আৰাধনা কৰে, সেই যোগী সবাতোকৈ শ্ৰেষ্ঠ। এতেকে, হে পাণ্ডৱ! তুমি ভক্তিযোগৰ নিৰ্ম্মল পথৰ পথিক হোৱাঁ।”[২]

অষ্টাদশ আধ্যা

(ভক্তিযোগ)

পৰমাত্মা-তত্ত্বজ্ঞান

পূৰ্ব্ববৰ্ত্তী আধ্যাত ভগৱদ্ভক্তি পন্থাৰ যি সূচনা কৰা হৈছে, সেই ভক্তিমাৰ্গেদি ক্ৰমাৎ আগ বাঢ়ি পৰমাত্মা-তত্ত্বজ্ঞান কি উপায়েৰে লাভ কৰিব পাৰি তাৰ বিশদ ব্যাখ্যা দিয়াৰ উদ্দেশ্যে ভগৱান শ্ৰীকৃষ্ণই এই বুলি অৰ্জ্জুনক সম্বোধন কৰিলে, “হে পাৰ্থ! তুমি পৰমেশ্বৰত একান্ত আসক্তচিত্ত, আৰু তুমি মোৰ শৰণাগত; এতেকে পূৰ্ব্বোক্ত যোগাভ্যাস কৰি তুমি নিঃসংশয়কৈ সৰ্ব্ববিভূতিসম্পন্ন পৰমাত্মাক কি প্ৰকাৰে জানিবাঁ, তাক ভাঙ্গি কওঁ শুনাঁ[৩]; অৰ্থাৎ পূৰ্ব্বোক্ত যোগাভ্যাসত কোনো প্ৰকাৰৰ বিসঙ্গতি ঘটিলে তুমি পৰমাত্মাক নাজানিবগেও পাৰাঁ, সেই কাৰণে সেই পৰমাত্মা-তত্ত্বজ্ঞানৰ বিশদ ব্যাখ্যা দিওঁ, শুদ্ধচিত্তেৰে গ্ৰহণ কৰাঁ।[৪]

ভগৱান শ্ৰীকৃষ্ণই ক্ৰমাৎ ব্যাখ্যা দীঘলাবলৈ ধৰিলে, “মই এতিয়া তোমাক যি সাধন ফলাদিৰ ব্যাখ্যাৰে সৈতে জ্ঞান-বিজ্ঞানৰ[৫] তত্ত্ব ব্যাখ্যা কৰিম, সেই তত্ত্ব উপলব্ধি কৰিব পাৰিলে তোমাৰ জানিবলৈ আৰু একো বাকী নাথাকিব।[৬] সহস্ৰ সহস্ৰ যত্নকাৰীৰ মাজত হয়তো কেতিয়াবা কোনোবাই পৰামাত্মাৰ স্বৰূপ তত্ত্বজ্ঞান লাভ কৰিব পাৰে। মাটি, পানী, জুই, বায়ু, আকাশ, মন, বুদ্ধি আৰু অহঙ্কাৰ এই আঠ[৭] বিধ মোৰ[৮] অৰ্থাৎ পৰমাত্মাৰ পৃথক প্ৰকৃতি। কিন্তু, এই আঠবিধ মোৰ (পৰমাত্মাৰ) জড় প্ৰকৃতি, ইয়াৰ উপৰিও

---

(১) গীতা, ৬ষ্ঠ আধ্যা, ৪০—৪৫ শ্লোক

(২) গীতা, ৬ষ্ঠ আধ্যা, ৪৬—৪৭ শ্লোক।

(৩) ভগৱানৰ কেনেকুৱা স্বৰূপ আৰাধনা কৰিব লাগে, আৰু কি নিয়মে ভগৱন্তত মন নিৱিষ্ট কৰাৰ বিধি, সেই বিষয়ে তত্ত্বজ্ঞানী ভগৱান শ্ৰীকৃষ্ণই মনেজানি প্ৰিয়শিষ্য অৰ্জ্জুনক জ্ঞান দিবলৈ আগ বাঢ়ে।

(৪) গীতা, ৭ম আধ্যা, ১ম শ্লোক।

(৫) পৰমেশ্বৰক অদ্বিতীয় পূৰ্ণব্ৰহ্ম স্বৰূপে উপলব্ধি কৰাৰ নাম ‘জ্ঞান’ আৰু শ্ৰৱণ, মনন, বিচাৰাদিৰ দ্বাৰাই আত্মাত পৰমাত্মাক অনুভৱ কৰাৰ নাম ‘বিজ্ঞান’।

(৬) জ্ঞানৰ বলত ব্ৰহ্মবস্তু বুজিব পাৰিলে, আৰু বিজ্ঞানৰ দ্বাৰাই পৰমাত্মাক অনুভৱ কৰিব পাৰিলে, জীৱৰ জানিবলৈ আৰু একো বাকী নাথাকে।

(৭) সাংখ্যমতে ষোল বিধ বস্তু; যেনে:—ক্ষিতি, অপ্, তেজ, মৰুৎ, ব্যোম; পঞ্চ জ্ঞানেন্দ্ৰিয় পঞ্চ কৰ্ম্মেন্দ্ৰিয়, আৰু মন।

(৮) ভগৱান শ্ৰীকৃষ্ণই নিজাত্মাত পৰমাত্মাক প্ৰতি-বিম্বিত কৰি ‘অহং’ ‘মে’, ‘মাম্’ ইত্যাদি শব্দ ব্যৱহাৰ কৰাৰ

পৰমাত্মাৰ (পৰমেশ্বৰৰ) চেতন প্ৰকৃতি আছে; সেই চেতন প্ৰকৃতিয়েই অচেতন প্ৰকৃতিৰ জগতক ধাৰণ কৰি থৈছে। এই প্ৰকৃতিযুগলৰ সামঞ্জস্যতে জীৱসমূহৰ সৃষ্টি; আৰু ময়ে (পৰমেশ্বৰেই) জগতৰ উৎপত্তি আৰু প্ৰলয়ৰ কাৰণ। হে ধনঞ্জয়! জগতৰ কোনো বস্তুৱেই মোতপৰ (ঈশ্বৰতকৈ) শ্ৰেষ্ঠ, বা মোৰপৰা (পৰমাত্মাৰপৰা) স্বতন্ত্ৰ নহয়; সূতাত যেনেকৈ মণিধাৰ গঁথা থাকে, জগতখন মোত তেনেকৈ জড়িত হৈ আছে। হে কুন্তীনন্দন! মই (পৰমাত্মা) পানীত ৰস, চন্দ্ৰ-সূৰ্য্যত প্ৰভা, সৰ্ব্ববেদত ওঙ্কাৰ (ওঁ), আকাশত শব্দ, পুৰুষত পৌৰুষৰূপে বিদ্যমান। সকলোতে ভগৱৎসত্ত বিদ্যমান জানিবাঁ। ময়েই (পৰমাত্মাই) পৃথিৱীত পুণ্য-পৱিত্ৰ গন্ধ, অগ্নিত ময়ে (পৰমেশ্বৰেই) তেজোৰূপে জ্বলোঁ, তপস্বীৰ তপস্যাতো মোৱেই (পূৰ্ণব্ৰহ্মৰেই) অৱস্থিতি। হে পাৰ্থ! মোকেই (পৰমাত্মাকেই) সৰ্ব্বভূতৰ মূল, বুদ্ধিমানৰ বুদ্ধি, আৰু তেজস্বীৰ বীজ বুলি জানিবাঁ; ময়েই (পৰমাত্মাই) তেজ বুলি বুজিবাঁ।”[১]

“হে অৰ্জ্জুন! ইতিপূৰ্ব্বতে আভাস দি[২] অহা হৈছে যে, ময়েই বলৱন্ত কামৰাগৰহিত বল, আৰু সমস্ত প্ৰাণীৰ ধৰ্ম্মৰ অবিৰোধী কামো ময়েই।[৩] সাত্বিক, ৰাজসিক আৰু তামসিক জগতৰ সকলো পদাৰ্থই মোৰপৰা উৎপন্ন; সেইবোৰ মোতে অৱস্থিত যদিও, মোৰ স্থিতি সেইবোৰত নাই। কিন্তু, মায়ামুগ্ধ জীৱই মোক সেইবোৰৰপৰা আঁতৰ বুলি নাজানে। সত্ব, ৰজ, তম—এই ত্ৰিগুণময় মোৰ অলৌকিক[৪] মায়া উপলব্ধি কৰা সহজ নহয়; কেৱল যিবিলাকে মোকেই একান্ত ভজনা কৰে, সিবিলাকে সেই মায়া অতিক্ৰম কৰিব পাৰে। পাপী, মূঢ়, নৰাধমে মাথোন আসুৰভাবজনিত মায়ামুগ্ধ হৈ মোক ভজনা নকৰাকৈ থাকে। কিন্তু; হে অৰ্জ্জুন! আৰ্ত্ত, জিজ্ঞাসু, অৰ্থাৰ্থী আৰু জ্ঞানী[৫] এই চতুৰ্ব্বিধ লোকে মোক সততে ভজনা কৰে। ইবিলাকৰ ভিতৰত সদায় সমাহিত একনিষ্ঠ জ্ঞানীভক্ত পৰম উৎকৃষ্ট। কিয়নো, ময়ো জ্ঞানীৰ অতিশয় প্ৰিয়, জ্ঞানীয়ো মোৰ অতিশয় প্ৰিয়; কাৰণ, জ্ঞানীভক্ত আত্মাৰ স্বৰূপ, জ্ঞানীভক্তই সমস্ত জগতকে পৰমাত্মাস্বৰূপে দেখা পায়; তেনে মহাত্মা অতি বিৰল। অৰ্থাৎ, জন্মে-জন্মে পুণ্য সঞ্চয় কৰি, পৰিশেষত জ্ঞানীভক্তই ভগৱৎ প্ৰেমত বিহ্বল হৈ গোটেই জগতকে ভগবন্ময় দৰ্শন কৰে। কামনাৰ প্ৰভাৱত যাৰ তত্ত্বজ্ঞান বিনষ্ট হয়, সি সেই কামনানুযায়ী নিয়ম পালন কৰি উপদেৱতাদিৰ উপাসনাত ধৰে। কিন্তু, যিবিলাক সকাম ভক্তই স্ব-কামনা অনুযায়ী কৰ্ম্মানুষ্ঠান কৰে, তাত সিবিলাকৰ আসক্তি মই গাঢ় কৰিহে দিওঁ। অৰ্থাৎ, যেয়ে যি ভাৱে যি দেৱতা বা ঈশ্বৰৰ স্বৰূপক অৰ্চ্চনা কৰে, অন্তৰ্য্যামী ভগৱানে সেই ভাৱেই সেই দেৱতাৰ জৰিয়তে সেই অৰ্চ্চনা গ্ৰহণ কৰি সেই কামনা পূৰ্ণ কৰে।”[৬]

“কামনানুযায়ী অৰ্চ্চনাৰে উপদেৱতাদি অৰ্চ্চনা কৰাটো চুটিবুদ্ধিৰ কাম; তাৰ ফলত সেই আৰাধ্য দেৱতাক মাথোন লাভ কৰা যায়; কিন্তু পৰমাত্মা লাভ হবলৈ বাকী

তত্ত্ব ওপৰত ব্যাখ্যা কৰা হৈছে। ভগৱান বাসুদেৱে নিজে নিজত ঈশ্বৰত্ব কাচিতো আৰোপ কৰা নাই যদিও ভক্ত শিষ্য অৰ্জ্জুনে সৰ্ব্বশাস্ত্ৰজ্ঞ, সৰ্ব্বতত্ত্বজ্ঞ, জ্ঞান-বিজ্ঞানৰ আধাৰ শ্ৰীকৃষ্ণক সাক্ষাৎ ঈশ্বৰ স্বৰূপ দেখে, গতিকে পৰমাত্মাতত্ত্ব ব্যাখ্যাত ভগৱান শ্ৰীকৃষ্ণই পৰমাত্মাৰ ঠাইত আত্মস্থিতি দেখুৱাই 'মই' 'মোৰ' 'মোত' শব্দেৰে উদাহৰণ দিছে।

(১) গীতা, ৭ম আধ্যা, ২—১০ শ্লোক।

(২) পুণ্যো গন্ধঃ পৃথিব্যাং চ তেজশ্চাস্মি বিভাবসৌ।
জীৱনং সৰ্ব্বভূতেষু তপশ্চাস্মি তপস্বিষু॥
—গীতা, ৭ আধ্যা, ৯ শ্লোক।

(৩) বলং বলবতাং চাহং কামৰাগবিবৰ্জ্জিতম্।
ধৰ্ম্মাবিৰুদ্ধো ভূতেষু কামোঽস্মি ভৰতৰ্ষভ॥
—গীতা, ৭ আধ্যা, ১১ শ্লোক।

(৪) কৃষ্ণত অলৌকিকতা অন্যে আৰোপ কৰিলেও তেওঁ সহিব নোৱাৰে। কিন্তু, ভকতবৎসল বাসুদেৱে উপস্থিত সমস্যাত অৰ্জ্জুনৰ মনোৰঞ্জনাৰ্থে ঐশ্বৰিক মায়া ব্যাখ্যা কৰোঁতে ঈশ্বৰ স্বৰূপে অলৌকিকতা নিজে নিজত আৰোপ কৰিছে।

(৫) আপদৰপৰা তৰিবৰ অৰ্থে যি ভগবানক আৰাধনা কৰে, তেওঁ আৰ্ত্তভক্ত; আত্মজ্ঞানলাভৰ অৰ্থে যি আৰাধনা কৰে, তেওঁ জিজ্ঞাসু; অৰ্থলাভৰ অৰ্থে আৰাধনা কৰোঁতা জনক অৰ্থাৰ্থী, আৰু ত্যাগী নিষ্কাম উপাসকক জ্ঞানী ভক্ত বোলে।

(৬) গীতা, ৭ আধ্যা, ১১—২২ শ্লোক।

থাকে। অবিবেকী লোকে পৰমাত্মাক অব্যয়ভাৱে নাভাবি সব্যয় ভাৱে ভাৱে। সকলোৱেই মোৰ স্বৰূপ দেখা পায়; কিন্তু মায়াৰ ঢাকনি ছেদ কৰি সেই স্বৰূপ দেখা কপটী ভক্তৰ ভাগ্যত নঘটে। জীৱই স্থূলদেহ ধাৰণ কৰিলেই সিবিলাকৰ অনুকূল বিষয় লাভলৈ ইচ্ছা হয় আৰু প্ৰতিকূল পদাৰ্থত দ্বেষ জন্মে। ইয়াকে যোগমায়া বোলা যায়। প্ৰাণীমাত্ৰকেই মায়াত মুগ্ধ; কিন্তু জন্ম-জন্মান্তৰৰ সঞ্চিত পুণ্যৰাশিৰ গুণত যিবিলাক পাপৰপৰা মুক্ত হৈছে; সিবিলাকৰ সেই মায়া-মোহ ক্ৰমাৎ অপনীত হলে সিবিলাকে পৰমাত্মাক আৰাধনা কৰে। যি সকলে কামনাসিদ্ধৰূপে ফলৰ প্ৰতি দৃষ্টি নাৰাখি কেৱল মুক্তিৰ অৰ্থেই সাধনা বা উপাসনাদি কৰে, সিবিলাকে সগুণব্ৰহ্মৰ আশ্ৰয় নললে সাধনা সিদ্ধ নহয়; অথচ ত্ৰিগুণব্ৰহ্ম সিবিলাকৰ উপাসনাৰ অতীত। যিবিলাকে অধিভূত, অধিদৈব আৰু অধিযজ্ঞৰে সৈতে মোক চিন্তা কৰে, সিবিলাকে মৰণকালতো মোৰ কৃপা লাভ কৰে। কাৰণ, ভগবদ্ভক্ত অজ্ঞান, অচেতন, মূৰ্চ্ছিত অৱস্থাতো ভগবদ্ভাৱভ্ৰষ্ট নহয়। অৰ্থাৎ, অন্তিম কালত ইন্দ্ৰিয়বিলাক অৱশ হৈ আহে, কাৰ্য্যকৰী শক্তিহীন হৈ পৰে; তাৰ লগে লগে মন নিস্তেজ হৈ অভিভূত হবলৈ ধৰে। সেই সময়ত ভগবৎ কথা শুনিবলৈ আৰু ভগবদানুৰাগী হবলৈকো শক্তিৰ নাটনি পৰে। তেনে আসন্ন অৱস্থাত ভকতবৎসল ভগৱানে আপোনাআপুনি মৃত্যুমুখীৰ ভক্তৰ হৃদয়ত থিত্ দিয়ে।”[১]

উনবিংশ আধ্যা

(ভক্তিযোগ)

পৰব্ৰহ্ম-তত্ত্বজ্ঞান

ইতঃপূৰ্ব্বতে, গীতাৰ সপ্তম আধ্যাত, ভগৱান শ্ৰীকৃষ্ণই যিবোৰ গুহ্য ৰহস্যৰ বিষয়ে উনুকিয়াইছিল, তাৰ সূক্ষ্মতত্ত্ব, নিখুতকৈ উপলব্ধি কৰিবৰ অৰ্থে অৰ্জ্জুনে আগ্ৰহেৰে সুধিলে, “হে পুৰুষোত্তম মধুসূদন। ব্ৰহ্ম কি? অধ্যাত্ম নো বোলে কাক? ধৰ্ম্ম নো কি? অধিভূত,[২] অধিদেৱ[৩], অধিযজ্ঞ[৪] নো কি, আৰু কেনেকৈ চিন্তিব লাগে? অধিযজ্ঞ দেহৰ ভিতৰত নে বাহিৰত অৱস্থিত? আৰু, মৰণকালত সমাহিতচিত্ত পুৰুষৰ হৃদয়ত তুমি কিৰূপে উদয় হোৱা? অধিযজ্ঞ যদি দেহৰ ভিতৰত থাকে, তেন্তে তেওঁ বুদ্ধি আদি ৰূপে বিৰাজিত হয় নে স্বতন্ত্ৰবীয়াকৈ হয়?”[৫]

অৰ্জ্জুনৰ অনুসন্ধানমূলক প্ৰশ্নৰ সমিচাৰ ভগৱান শ্ৰীকৃষ্ণই এই বুলি দান কৰিলে, “যিজন পৰম অক্ষৰ[৬] তেওঁৱেই ব্ৰহ্ম; স্বভাৱেই অধ্যাত্ম[৭] প্ৰাণীগণৰ উৎপত্তি আৰু বুদ্ধিবিধায়ক যজ্ঞাদিয়েই কৰ্ম্ম।[৮] হে প্ৰাণীশ্ৰেষ্ঠ অৰ্জ্জুন! নশ্বৰ পদাৰ্থই অধিভূত, হিৰণ্যগৰ্ভই অধিদৈব, বিষ্ণুস্বৰূপময়েই অধিযজ্ঞ। এই অধিযজ্ঞ পুৰুষ দেহাৰ মধ্যত থাকে বুলিও, তেওঁ বুদ্ধিমত্তাদিৰপৰা স্বতন্ত্ৰ। যি মানুহে মৰণৰ বেলিকাও ভগৱানক চিন্তি দেহা এৰে, সেই মানুহে যে ভগৱানৰ স্বৰূপতা লাভ কৰে, তাত সংশয়

---

(১) গীতা, ৭ম আধ্যা, ২৩-৩০ শ্লোক।

(২) পাৰ্থিব ক্ৰিয়া-কৰ্ম্মাদিয়েই অধিভূত নামে নিৰ্দ্দিষ্ট। যজ্ঞাদি কৰ্ম্মানুষ্ঠান ইয়াৰ অন্তৰ্ভুৰ্ত।—গীতাসন্দীপনী, কৃষ্ণানন্দ স্বামী।

(৩) দেৱতাদিৰ ধ্যান, অথবা আদিত্যমণ্ডলৰ মাজৰ জীৱচৈতন্যৰ নাম অধিদৈব।—গীতাসন্দীপনী, কৃষ্ণানন্দ স্বামী।

(৪) যজ্ঞৰ আশ্ৰয়ত যাৰ অৱস্থিতি তেনে কোনো দেৱতা বিশেষ, কিম্বা পৰব্ৰহ্মকেই অধিযজ্ঞ বোলা হয়।
—গীতাসন্দীপনী, কৃষ্ণানন্দ স্বামী।

(৫) গীতা, ৮ম আধ্যা, ১—২ শ্লোক।

(৬) যি অবিনশ্বৰ, যি অন্তৰ্ব্বাহ্যব্যাপী, যি ওতঃপ্ৰোতভাৱে সৰ্ব্বত্ৰ বিদ্যমান, যি উৎপত্তি-বিনাশবৰ্জ্জিত, যি সকলোৰে দ্ৰষ্টা, যি সকলোৰে মূল, যি সকলোৰে শেষগতি, যি কাৰ্য্যৰ আৰম্ভণ, যি কাৰ্য্যৰ সামৰণ, তেওঁৱেই অক্ষৰ, তেওঁৱেই পৰব্ৰহ্ম।
—গীতাসন্দীপনী, কৃষ্ণানন্দ স্বামী।

(৭) অক্ষৰ ব্ৰহ্মৰ প্ৰত্যক্ষ চৈতন্য দেহৰূপ কল্পিত আত্মাকে অধ্যাত্ম বোলা যায়।—গীতাসন্দীপনী, কৃষ্ণানন্দ স্বামী।

(৮) ইন্দ্ৰিয়াদিৰ উদ্দেশে যাগ, যজ্ঞ, হোম, দান আদি যি অনুষ্ঠিত হয়, তাকে কৰ্ম্ম বোলা যায়।

নাই।[১] হে কুন্তীনন্দন! চিৰজীৱন অনুৰাগৰে সৈতে চিন্তা কৰাৰ ফলত, যেয়ে যি ভাবনা কৰি দেহত্যাগ কৰে, সেয়ে সেই ভাবপ্ৰাপ্ত হয়।[২] মৰণ-মুহূৰ্ত্তৰ চিন্তানুসাৰেই জীৱৰ পুনৰ্জ্জন্ম, নাইবা ব্ৰহ্মনিৰ্ব্বাণ লাভ হয়। অৰ্থাৎ, মৰণমুহূৰ্ত্তত যি মানুহে সংসাৰৰ ভোগ্য বিষয় চিন্তা কৰে, সি পুনঃ পাৰ্থিব দেহা ধাৰণ কৰে; যি পুৰুষে শিব, বিষ্ণু আদি চিন্তা কৰে, তেওঁ তদ্ৰূপ ৰূপ ধাৰণ কৰে; যি ভকতই ঐকান্তিক প্ৰেমৰ আৱেশে আত্ম-সমাধান কৰি দেহ ত্যাগ কৰে, তেওঁ ব্ৰহ্মনিৰ্ব্বাণ লাভ ক'ৰে। এতেকে, হে অৰ্জ্জুন! সৰ্ব্বদায় মোক (পৰমাত্মাক) স্মৰণ কৰিবা; উপস্থিত যুদ্ধত প্ৰবৃত্ত হোৱা, আৰু মনোবুদ্ধি সমুদায় মোত্ (পৰমাত্মাত) অৰ্পণ কৰা; তেনেহলেই মোক লাভ কৰিবা যে তাত অনুমাত্ৰও সংশয় নাই।"[৩] ৰণলৈ পিঠি নিদিয়াটো এটা ক্ষত্ৰিয়োচিত বিশিষ্ট ধৰ্ম্ম। এতেকে, যুদ্ধ কৰিবলৈ ওলাই আহি, অপৰপক্ষ যুদ্ধত প্ৰবৃত্ত থকাৰ স্থলত, তালৈ পিঠি দিলে অৰ্জ্জুনৰ স্বধৰ্ম্ম বিনষ্ট হব, আৰু তাৰ ফলস্বৰূপ চিত্তশুদ্ধি আৰু নিষ্কামতা লাভ কৰিব নোৱাৰি তেওঁ মুক্তিপদৰপৰা বঞ্চিত হব, সেই কাৰণে, ভকতবৎসল ভগৱান শ্ৰীকৃষ্ণই ভক্তশিষ্য অৰ্জ্জুনক যুদ্ধত প্ৰবৃত্ত হবলৈ পুনঃ পুনঃ উদ্গনি দিছে।

"হে পাৰ্থ! সৰ্ব্বদায় একান্তচিত্তেৰে পৰমাত্মচিন্তনৰ অভ্যাস যোগসাধনৰ দ্বাৰাই পৰব্ৰহ্মপ্ৰাপ্ত হোৱা যায়। সৰ্ব্বজ্ঞ[৪] সৰ্ব্বনিয়ন্তা সূক্ষ্মতকৈও সূক্ষ্মতৰ, সকলোৰে বিধাতা, অনাদি অচিন্ত্যৰূপ দিব্য পুৰুষক যি কায়মনোবাক্যে চিন্তা কৰে, তেওঁ মৰণ-মুহূৰ্ত্তত একাগ্ৰচিত্ত, ভক্তি আৰু অভ্যস্ত যোগবলৰ দ্বাৰাই প্ৰাণবায়ুক ভ্ৰূযুগলৰ মাজত স্থাপন কৰি সেই পৰব্ৰহ্মক লাভ কৰে।"[৫]

"হে অৰ্জ্জুন! বেদবেত্তা পুৰুষগণে যি অক্ষৰ ব্ৰহ্মৰ ব্যাখ্যা কৰে, নিস্পৃহ সন্ন্যাসীগণে যাক তপস্যাৰ ফলত লাভ কৰে, যাক পাবৰ অৰ্থে ধৰ্ম্মাত্মাসকলে ব্ৰহ্মচৰ্য্য ব্ৰত অৱলম্বন কৰে, সেই পৰব্ৰহ্মৰ স্বৰূপ মই সংক্ষেপে ব্যাখ্যা কৰোঁ, সাৱধানে অৱধান কৰিবা।"[৬]

"যি সাধু পুৰুষে সমস্ত ইন্দ্ৰিয়দ্বাৰ অৱৰুদ্ধ কৰি, মনক হৃদয়ত নিৰোধ কৰি, প্ৰাণক মূৰত স্থাপন কৰি, আত্ম সমাধিত অৱস্থিত হৈ, 'ওঁ' এই ব্ৰহ্মৰূপ একাক্ষৰ উচ্চাৰণ কৰোঁতে কৰোঁতে মোক (পৰমাত্মাক) চিন্তি তনু ত্যাগ কৰি প্ৰয়াণ কৰে, তেওঁৱেই পৰমগতি লাভ কৰে।[৭] হে পাৰ্থ! যি সকল সাধু পুৰুষে অনন্যচিত্ত হৈ মোকেই (পৰমেশ্বৰকে) চিৰদিন চিন্তা কৰে, সিবিলাকলৈ মই (মুক্তিপদ) অতি সুলভ, আৰু সিবিলাকে মোক (পৰব্ৰহ্মক) পোৱাৰ পাচত, সৰ্ব্বদুখৰ আলয় স্বৰূপ পুনৰ্জ্জন্ম গ্ৰহণ কৰিব লগাত নপৰে। কিয়নো, হে অৰ্জ্জুন, ব্ৰহ্মলোকলৈকে সকলো জীৱৰ পুনৰ্জ্জন্মৰ বিধান আছে; কিন্তু মোক (পৰব্ৰহ্মক) লাভ কৰাৰ পাচত আৰু পুনৰ্জ্জন্মৰ বিধান নাই।"[৮]

"যি যোগীয়ে ব্ৰহ্মাৰ চতুৰ্যুগসহস্ৰ পৰিমিত দিন আৰু চতুৰ্যুগসহস্ৰ পৰিমিত ৰাতি[৯] বিষয়ক জ্ঞান লাভ কৰিছে, তেওঁৱেই হে আচল দিন-ৰাতি পৰিমাণৰ বিষয়ে ধাৰণা

(১) অন্তকালে চ মামেৱ স্মৰন্ মুক্ত্বা কলেৱৰম্।
যঃ প্ৰয়াতি স মদ্ভাবং যাতি নাস্ত্যত্ৰ সংশয়ঃ॥
—গীতা, ৮ম আধ্যা, ৫ম শ্লোক।

(২) যং যং বাপি স্মৰন্ ভাবং ত্যজত্যন্তে কলেৱৰম।
তং তমেৱৈতি কৌন্তেয় সদা তদ্ভাৱভাবিতঃ॥
—গীতা, ৮ম আধ্যা, ৬ষ্ঠ শ্লোক।

(৩) গীতা, ৮ম আধ্যা, ৭ম শ্লোক।

(৪) ভূত, ভৱিষ্যত আৰু বৰ্ত্তমান বিষয়ৰ দ্ৰষ্টা হেতুকে পৰমাত্মাক কবি বা সৰ্ব্বজ্ঞ বোলা যায়।

(৫) গীতা, ৮ম আধ্যা, ৮—১০ শ্লোকৰ মুঠ্ বা সংযোগ ব্যাখ্যা।

(৬) গীতা, ৮ম আধ্যা, ১১শ শ্লোক।

(৭) সৰ্ব্বদ্বাৰাণি-সংযম্য মনো হৃদি নিৰুধ্য।
মূৰ্দ্ধাধায়াত্মনঃ প্ৰাণমাস্থিতো যোগধাৰণাম্॥
ওঁমিত্যেকাক্ষৰং ব্ৰহ্ম ব্যাহৰণ্ মামনুস্মৰণ।
যঃ প্ৰয়াতি ত্যজন্ দেহং স যাতি পৰমাংগতিম্॥
—গীতা, অষ্টম আধ্যা ১২—১৩ শ্লোক।

(৮) গীতা, অষ্টম আধ্যা, ১৪—১৬ শ্লোকৰ সংযোগ ব্যাখ্যা।

(৯) চতুৰ্যুগ:—সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি। সত্যযুগৰ পৰিমাণ ১৭,২৮,০০০ বছৰ; ত্ৰেতাযুগৰ পৰিমাণ ১২,৯৬,০০০ বছৰ; দ্বাপৰযুগৰ পৰিমাণ ৪,৩২,০০০ বছৰ।

কৰিব পাৰে। ব্ৰহ্মাৰ জাগ্ৰত অৱস্থাই ব্যক্ত, আৰু নিদ্ৰিত অৱস্থাই অব্যক্ত; ব্ৰহ্মাৰ দিনত ব্যক্ত চৰাচৰ পদাৰ্থৰ কাম্য কৰ্ম্মৰ অনুষ্ঠান হেতু পুনঃ পুনঃ উৎপত্তি আৰু স্থিতি, ৰাতিত ব্যক্ত চৰাচৰ পদাৰ্থ অব্যক্তৰূপে লয়প্ৰাপ্ত হয়। কিন্তু, চৰাচৰ জগত লয় পালেও, সেই অব্যক্তৰো অতীত, ইন্দ্ৰিয়ৰ অগোচৰ, স্বতন্ত্ৰসত্তা সনাতন পৰব্ৰহ্ম লয় নাপায়। সেই অক্ষৰ অব্যক্ত সত্তাস্বৰূপেই জীৱৰ পৰমগতি, সেই সত্তাভাৱপ্ৰাপ্ত হলেই জীৱৰ ঘূৰি জন্ম নহয়. সেয়ে মোৰ পৰমধাম, অৰ্থাৎ সেয়ে বিষ্ণুৰ পৰমপদ, সেয়ে বিষ্ণুৰ স্বৰূপ অৱস্থা। হে পাৰ্থ! এই চৰাচৰ জগত সেই পৰব্ৰহ্মতেই অৱস্থিত, আৰু তেওঁৰেই এই চৰাচৰ জগতত পৰিব্যাপ্ত, তেওঁ সহজবোধগম্য নহয়, ঐকান্তিক ভক্তি সহকাৰে মাথোন সেই পৰমপদ লাভ কৰা যায়।”[১]

“হে ভৰতকুলতিলক অৰ্জ্জুন! দেহৰপৰা প্ৰাণ ওলাই যাবৰ সময়ত কোন্ কালত বা কোন্ মাৰ্গেদি গতি হলে যোগীৰ পুনৰ্জন্ম হয়. আৰু কোন্ কালত বা কোন্ মাৰ্গেদি গতি হলে সেই পুনৰাবৃত্তি নহয়, সেই কাল আৰু মাৰ্গৰ সৰল ব্যাখ্যা দিওঁ, শুনিবা।—যি মাৰ্গত জ্যোতিঃস্বৰূপ অগ্নি, দিন, শুক্লপক্ষ, উত্তৰায়ণ ছমাহৰ স্থিতি, সেই দেৱযান বা ব্ৰহ্মমাৰ্গেদি গমন কৰি সগুণব্ৰহ্ম উপাসনা কৰা কৰ্ম্ম-যোগীয়ে ব্ৰহ্মলোকলৈ গতি কৰি পৰব্ৰহ্ম বা পৰমাত্মাত ব্ৰহ্মনিৰ্ব্বাণপ্ৰাপ্ত হয়।[২] যি মাৰ্গত ধূম, ৰাত্ৰি, কৃষ্ণপক্ষ, দক্ষিণায়ণ ছমাহৰ স্থিতি[৩], সেই মাৰ্গেদি গতি হলে কৰ্ম্মী-পুৰুষ চন্দ্ৰলোক[৪] প্ৰাপ্ত হৈ স্বৰ্গসুখ ভোগৰ অন্তত, অতৃপ্ত বাসনা হেতুকে সংসাৰত পুনৰাবৃত্ত হয়। শুক্ল আৰু কৃষ্ণ এই দুই পথ জগতত নিত্যসিদ্ধ। শুক্লমাৰ্গৰ উপাসক নিৰ্ব্বাণপ্ৰাপ্ত আৰু কৃষ্ণমাৰ্গৰ কৰ্ম্মী পুনৰাবৃত্তিপ্ৰাপ্ত হয়। ইয়াকে জানি, সগুণব্ৰহ্ম উপাসক যোগী সংসাৰৰ মায়াত বিমুগ্ধ নহয়। এতেকে, হে অৰ্জ্জুন, তুমিও সংসাৰৰ মায়াত বিমুগ্ধ নহৈ শুক্লমাৰ্গগামী হোৱাৰ উদ্দেশে সমাধিস্থ হোৱাঁ। হে অৰ্জ্জুন! বেদ অধ্যয়নৰ ফলত, তপস্যাৰ বলত, দানকৰ্ম্মৰ গুণত, পুণ্যকৰ্ম্মৰ পৰিণামত যি ফল লাভ হয়, ধ্যাননিষ্ঠ যোগীগণে সেই ফলভোগ তুচ্ছ কৰি সৰ্ব্বকাৰণৰ কাৰণ-স্বৰূপ পৰব্ৰহ্মক লাভ কৰে।[৫] এতেকে, তুমিও তেনেকৈ যোগনিষ্ঠ হৈ, আপোন-পৰ ভাব পৰিত্যাগ কৰি, উপস্থিত যুদ্ধত প্ৰবৃত্ত ৰূপ স্বধৰ্ম্ম পালন কৰি, সেই অনাদি অনন্ত সনাতন পৰব্ৰহ্মক লাভ কৰিবলৈ সক্ষম হোৱাঁ।”[৬]

এই চতুৰ্যুগ সহস্ৰবাৰ পাৰ হলে ব্ৰহ্মাৰ এদিন, আৰু সেই দৰে আকৌ চতুৰ্যুগ সহস্ৰবাৰ পাৰ হলে ব্ৰহ্মাৰ এৰাতি হয়। এই হিচাপে ধৰি ব্ৰহ্মাৰ অহোৰাত্ৰত (এদিন আৰু এৰাতিত) কিমান বছৰ সোমায়, তাক ধাৰণা কৰিবলৈ গলে লেখ নোপোৱা হয়গৈ!—অৰ্থাৎ, পৰব্ৰহ্ম, বা পৰমাত্মা বা সৃষ্টিকৰ্ত্তা ভগৱন্ত যেনে অনাদি আৰু অনন্ত, তেওঁৰ কালৰ পৰিমাণো সেই দৰেই অনাদি আৰু অনন্ত।

(১) গীতা, অষ্টম আধ্যা, ১৭—২৩ শ্লোকৰ সংযোগ ব্যাখ্যা।

(২) অগ্নিৰ্জ্যোতিৰহঃ শুক্লঃ ষণ্মাসা উত্তৰায়ণম্।
তত্ৰ প্ৰয়াতা গচ্ছন্তি ব্ৰহ্ম ব্ৰহ্মবিদো জনাঃ॥
—গীতা, অষ্টম আধ্যা, ২৪ শ্লোক।

(৩) ধূমো ৰাত্ৰিস্তথা কৃষ্ণঃ ষণ্মাসা দক্ষিণায়ম্।
তত্ৰ চান্দ্ৰমসং জ্যোতিৰ্যোগী প্ৰাপ্য নিবৰ্ত্ততে॥
—৮ম আধ্যা, ২৫ শ্লোক।

(৪) চন্দ্ৰলোক পুণ্যভোগৰ স্থান। যি সকলে সৎকৰ্ম্মাদি কৰি দেহ ত্যাগ কৰে, সেই সকলে চন্দ্ৰলোক লাভ কৰি অনুপম স্বৰ্গসুখ ভোগ কৰিবলৈ পায়; কিন্তু বাসনাসূত্ৰ যোগত সংসাৰলৈ পুনৰাবৃত্ত হয়। এই পুনৰাবৃত্তি মাৰ্গৰ নাম পিতৃযান।—গীতাৰ্থ সন্দীপনী, কৃষ্ণানন্দ স্বামী।

(৫) বেদেষু যজ্ঞেষু তপঃসু চৈব দানেষু যৎপুণ্যফলং প্ৰদিষ্টম্।
অত্যেতি তৎ সৰ্ব্বমিদং বিদিত্বা যোগীপৰং স্থানমুপৈতি চাদ্যম্॥
—গীতা, অষ্টম আধ্যা, ২৮ শ্লোক।

(৬) গীতা, অষ্টম আধ্যা, ২৩—২৮ শ্লোকৰ সংযোগ ব্যাখ্যা।

বিজ্ঞানপূৰ্ণ জ্ঞানতত্ত্ব

মুক্তিমাৰ্গ ব্যাখ্যাৰ পাচত, জ্ঞাননিষ্ঠ পুৰুষৰ গতি-মুক্তি আৰু ভগৱানৰ প্ৰকৃত স্বৰূপ বিষয়ক জ্ঞান-উপদেশ ব্যাখ্যা কৰিবলৈ জগতগুৰু শ্ৰীকৃষ্ণই এই বুলি আৰম্ভ কৰিলে, "হে অৰ্জ্জুন! তুমি আৰ্জ্জৱ আৰু সংযমাদি গুণযুক্ত মোৰ উপযুক্ত শিষ্য; এতেকে তোমাক বিজ্ঞানপূৰ্ণ জ্ঞানতত্ত্বৰ গুহ্য ৰহস্যৰ বিষয়ে কওঁ, মনপাৰি শুনিবাঁ; শুনি সেই তত্ত্ব হৃদয়ঙ্গম কৰিব পাৰিলে তুমি সংসাৰ-বন্ধনৰপৰা মুক্তিলাভ কৰিব পাৰিবাঁ। এই তত্ত্বজ্ঞান সুকলো জ্ঞানতকৈ গুহ্যতম, সকলো বিদ্যাতকৈ শ্ৰেষ্ঠবিদ্যা, অতি উত্তম, অতি পৱিত্ৰ, প্ৰত্যক্ষ ফলপ্ৰদ, ধৰ্ম্মসঙ্গত, সুখসাধ্য আৰু অক্ষয় ফলদায়ক। কিন্তু, হে পাৰ্থ, শ্ৰদ্ধাহীন মানুহে মোক (পৰমাত্মাক) কেতিয়াও নাপায়; গতিকে সিহঁতে সৰ্ব্বতিকাল সংসাৰপথত ঘূৰি ফুৰে। অব্যক্তৰূপে মই (পৰমাত্মাই) গোটেই জগত ব্যাপি আছোঁ, সকলো বস্তুৱেই মোত (পৰমাত্মাত) স্থিতি কৰিছে; কিন্তু মই ক'তো অৱস্থিত নাই।[১] তাৰ যুক্তি এই যে, বস্তুৰ উৎপত্তি আৰু বিনাশ আছে; কিন্তু ভগৱান নিত্য। ভগৱান স্বপ্ৰকাশশীল। তুমি মোৰ এই অলৌকিক ৰূপলৈ[২] চোৱাঁ, দেখিবাঁ জগতৰ বস্তুবোৰে (ভূতগণে) মোত্ স্থিতি কৰা নাই; মই মাথোন ইতিপূৰ্ব্বতে কৈ অহা মায়াজনিত ভূতধাৰক আৰু ভূতপালকৰূপে বিদ্যমান আছোঁ। অৰ্থাৎ, পৰমাত্মা স্বমহিমাত প্ৰতিষ্ঠিত, আৰু ভগৱান একোৰে আধাৰ নহয়, কোনো বস্তুতে তেওঁ অধিষ্ঠান নকৰে, তেওঁ নিৰ্লিপ্ত। পদ্মপত্ৰ আৰু পানীৰ যি সম্বন্ধ, ভূতধাৰক ভূতপালক ভগৱন্ত আৰু ভূতৰ মাজত সেই সম্বন্ধ।[৩]

"আকাশতে বেগৱান বায়ুৰ স্থিতি; কিন্তু আকাশৰ নিৰ্লিপ্ততা গুণ হেতুকে বায়ুৰ লগত আকাশ লৰি নুফুৰে। সেই অনুৰূপে, ভূত সমষ্টিয়ে পৰমাত্মাত অৱস্থিতি কৰিছে যদিও, পৰমাত্মা সৰ্ব্বতিকাল নিৰ্লিপ্ত আৰু স্বতন্ত্ৰবীয়া ভাৱে আছে।"[৪]

ইমানলৈকে সৃষ্টিস্থিতি বিষয়ক পৰমাৰ্থতত্ত্বজ্ঞান দান কৰাৰ পাচত, ভগৱান শ্ৰীকৃষ্ণই প্ৰলয়তত্ত্বজ্ঞান দিয়াৰ উদ্দেশে তন্ময়চিত্ত অৰ্জ্জুনক এই বুলি সম্বোধন কৰিলে, "হে কুন্তীনন্দন! ইয়াৰ আগেয়ে কৈ অহা হৈছে যে, মোৰ (পৰব্ৰহ্মৰ) মায়াৰপৰাই জগৎ প্ৰকাশিত হৈছে; জগৎ বিনষ্ট হলে, অৰ্থাৎ প্ৰলয় কালত, জগতৰ সকলো বস্তু মোৰ (পৰমাত্মাৰ) ত্ৰিগুণময়ী[৫] প্ৰকৃতিত লিপ্ত হয়। চৈতন্যৰূপ পৰমাত্মা তেতিয়াও স্বতন্ত্ৰ থাকে। পুনৰপি সৃষ্টিকালত সেই প্ৰকৃতিস্থ বীজৰপৰা তত্ত্ব সংগ্ৰহ কৰি সৃষ্টি ৰচনা কৰা হয়। আৰু, প্ৰকৃতিকে আশ্ৰয় কৰি তাৰ প্ৰভাৱত বাৰম্বাৰ জীৱবস্তু প্ৰণয়ন কৰা হয়। কিন্তু, হে ধনঞ্জয়! উদাসীন পুৰুষৰূপ পৰব্ৰহ্ম সৃষ্টিক্ৰিয়াদিত আসক্ত নথকাৰ হেতুকে, তাত মই (পৰমাত্মা) বান্ধ নাখাওঁ; অথচ মোৰ অধিষ্ঠান হেতুকেই প্ৰকৃতিয়ে[৬] বাৰম্বাৰ নানাৰূপে স্থাৱৰজঙ্গমাত্মক জগৎ প্ৰসৱ কৰে। হে অৰ্জ্জুন! অবিবেকী লোকে মাথোন মোৰ সৰ্ব্বভূতা-পৰমেশ্বৰৰূপ পৰমাৰ্থতত্ত্ব উপলব্ধি কৰিব নোৱাৰি মোৰ মানৱমূৰ্ত্তিৰ প্ৰতি

---

(১) ময়া ততমিদং সৰ্ব্বং জগদব্যক্তমূৰ্ত্তিনা।
মৎস্থানি সৰ্ব্বভূতানি ন চাহং তেষ্ববস্থিতঃ॥
—গীতা, নৱম আধ্যা, ৪ৰ্থ শ্লোক।

(২) অৰ্জ্জুন কৃষ্ণভাৱত ক্ৰমাৎ তন্ময় হৈ অহা দেখি জগন্মোহনৰূপী তত্ত্বজ্ঞানী ভগৱান বাসুদেৱে পৰমাত্মাৰ স্বপ্ৰকাশ আত্মদেহত নিৰ্দ্দেশ কৰিছে। কৃষ্ণপ্ৰাণ অৰ্জ্জুনে কৃষ্ণতে পৰমাত্মাৰূপ দৰ্শন কৰা দেখি, ভগৱান শ্ৰীকৃষ্ণই অতঃপৰ পৰমাত্মা নামে বখানিব লগীয়া সৰ্ব্ববিষয়তে 'মাং' 'ময়া', 'মে', 'মমাত্মা' ইত্যাদি শব্দেৰে আত্মনিৰ্দ্দেশ কৰিছে।

(৩) গীতা, নৱম আধ্যা, ১—৫ শ্লোকৰ সংযোগ ব্যাখ্যা।

(৪) গীতা, নৱম আধ্যা, ৬ষ্ঠ শ্লোক।

(৫) ত্ৰিগুণ :—সত্ত্ব, ৰজঃ, তমঃ।

(৬) প্ৰকৃতি মায়াৰেই নামান্তৰ মাথোন; গতিকে ব্ৰহ্মৰপৰা প্ৰকৃতিৰ স্বতন্ত্ৰ অস্তিত্ব নাই। এতেকে, পৰব্ৰহ্মৰ মহিমাৰূপ মায়াতেই জীৱ আৰু জগৎ প্ৰকাশিত।
—শ্ৰীধৰ স্বামীকৃত টীকা।

(৭) এইখিনিতে মানৱী শ্ৰীকৃষ্ণই স্বয়ং ভগৱান শ্ৰীকৃষ্ণ বুলি প্ৰকাশ্যে স্বীকাৰ কৰিছে।

অৱজ্ঞা কৰে[৭]। নিষ্ফলকাম, নিষ্ফলকৰ্ম্মা, বিফলজ্ঞান, বিচাৰবিহীন পুৰুষ সততে ৰাক্ষসী, আসুৰী আৰু মোহিনী প্ৰকৃতিপ্ৰাপ্ত হয়। কিন্তু, হে পাৰ্থ, যি সকলে দৈৱপ্ৰকৃতিক আশ্ৰয় কৰি ঈশ্বৰৰ প্ৰতি একান্তমতি হয়, সেইসকল পুণ্যাত্মাই মোক সৰ্ব্বভূতৰ অবিনাশী কাৰণ বুলি জানি ভজনা কৰে।"[১]

"মহাত্মাগণে নিত্য সমাহিত হৈ ব্ৰহ্মজ্ঞান লাভাৰ্থে সততে ভগৱানৰ নাম-কীৰ্ত্তন কৰে। কোনো কোনো মহাত্মাই জ্ঞানৰূপ যজ্ঞানুষ্ঠানেৰে ভগৱানৰ পূজা কৰে; কোনোৱে আকৌ ভগৱানক স্বতন্ত্ৰ ভাবে। ইত্যাদিকৈ ভিন্ ভিন্ পন্থাত ভগৱানক আৰাধনা কৰা যায়। কিন্তু, হে অৰ্জ্জুন, ময়ে বেদ, ময়ে যজ্ঞ, ময়ে শ্ৰাদ্ধ (পিতৃযজ্ঞ), ময়ে ঔষধ, ময়ে মন্ত্ৰ, ময়ে হোমৰ ঘিঁউ, ময়ে অগ্নি, ময়ে হোম[২], ময়ে এই জগতৰ পিতৃ, ময়ে মাতৃ, ময়ে ধাতা, ময়ে পিতামহ, ময়ে জ্ঞেয়, ময়ে পাৱন, ময়ে ওঁকাৰ (প্ৰণৱ), ময়ে ঋগ্বেদ, ময়ে সামবেদ, ময়ে যজুৰ্ব্বেদ[৩], ময়ে গতি, ময়ে ভৰ্ত্তা, ময়ে প্ৰভু, ময়ে সাক্ষী, ময়ে নিবাস. ময়ে ৰক্ষক, ময়ে সুহৃৎ, ময়ে প্ৰভৱ, ময়ে স্থান, ময়ে নিধান, ময়ে প্ৰলয়, ময়ে অবিনাশী বীজ[৪]। হে পাৰ্থ! ময়ে উত্তাপ দান কৰোঁ, ময়ে পানী আকৰ্ষণ কৰোঁ, ময়ে ঘূৰি বৰষুণ দিওঁ; ময়ে অমৰ আৰু মৰণ স্বৰূপ, ময়ে সৎ আৰু অসৎ স্বৰূপ[৫]। যি সকল বেদবিদ্ পুণ্যাত্মাই কাম্য যজ্ঞাদিৰ অনুষ্ঠানেৰে মোক পূজা কৰি সোমৰস পান কৰি নিষ্পাপ হৈ স্বৰ্গ কামনা কৰে, সেই সকাম পুৰুষসকলে স্বৰ্গ লাভ কৰি দিব্য-সুখ ভোগ কৰে[৬]। তাৰ পাচত, পুণ্যক্ষয় হলে, সিবিলাকে পুনৰায় মৰ্ত্ত্যত জন্ম ধৰেহি; স্বৰ্গকামনাৰে বেদবিহিত কৰ্ম্মানুষ্ঠান কৰিলে এই দৰে বাৰম্বাৰ সংসাৰলৈ ঘূৰিব লগা হয়। কিন্তু, যি সকলে একান্ত চিত্তেৰে মোৰ সাক্ষাৎ বাঞ্ছা কৰে, সেই সকলে অনায়াসে ভগৱৎকৃপা লাভ কৰে। হে কুন্তীনন্দন! অজ্ঞান হেতুকে যিবিলাকে উপদেৱতাদিৰ পূজা-অৰ্চ্চনা কৰে, সিবিলাকে অজ্ঞাতভাৱে মোকেই হে পূজা কৰে; তাকে নজনাৰ বাবেই সিবিলাক পুনৰাবৃত্তি-প্ৰাপ্ত হয়।"[৭]

"শুদ্ধচিত্ত হৈ যি যাক ভক্তিভাৱে পূজা কৰে, সি তাকে পায়। ফুল, ফল, পাত, এচলু পানী ইত্যাদি যি যিহকে ভক্তিৰে সৈতে মোলৈ আগবঢ়ায়, মই তাকে পৰম প্ৰীতিৰে সৈতে গ্ৰহণ কৰোঁ। হে কুন্তীনন্দন! তুমি যি অনুষ্ঠান, দান, ভোজন, হোম আৰু তপশ্চৰণ কৰা, সেই-বোৰ মোক স্মৰণ কৰি কৰিবা।[৮] তুমি এইৰূপে সন্ন্যাস ভাবাপন্ন হৈ মোক লাভ কৰিবা। মোৰ প্ৰিয়-অপ্ৰিয় নাই, মই সৰ্ব্বজীৱৰ পক্ষে একৰূপ, যেয়ে শুদ্ধচিত্ত হৈ মোক একান্ত ভক্তি কৰে, সেয়ে মোত অৱস্থিতি কৰে,

---

(১) গীতা, নৱম আধ্যা, ৭—১৩ শ্লোকৰ সংযোগ ব্যাখ্যা।

(২) যেয়ে যি ভাবেই বা যি পন্থাৰেই পূজা কৰক লাগে, সেই পূজা স্বয়ং ভগৱানেই গ্ৰহণ কৰে, মাথোন বিশুদ্ধ আৰু সৰল হব লাগে।

(৩) ভগৱানেই জগৎ সৃষ্টি কৰিছে, গতিকে তেওঁ জগতৰ পিতৃ-মাতৃ; ভগৱানেই জগতৰ ৰক্ষাকৰ্ত্তা আৰু পাপ-পুণ্যৰ ফলদাতা, সেই হেতুকে তেওঁ বিধাতা; ভগৱান ব্যক্ত আৰু অব্যক্তৰ অতীত, সেই কাৰণে তেওঁ পিতামহ; ভগৱানক চিত্তশুদ্ধিৰে জানিব পাৰিলেই জীৱই শুদ্ধিলাভ কৰে, সেই বাবে তেওঁ পৱিত্ৰ।

(৪) ভগৱান জগতৰ ব্যৱস্থাপক, গতিকে তেওঁ ভৰ্ত্তা; ভগৱানৰপৰা আঁৰকৈ কোনো কৰ্ম্ম কৰা নাযায়, তদৰ্থে তেওঁ সাক্ষী; তেওঁ প্ৰভৱ, কাৰণ তেওঁ উৎপত্তিৰ মূল; তেওঁ স্থান, কাৰণ জগত তেওঁতে অৱস্থিত; তেওঁ প্ৰলয়, কিয়নো তেওঁ জগত বিনাশৰ হেতু। মূঠতে, ভগৱানেই সৃষ্টি-স্থিতি-প্ৰলয়কৰ্ত্তা।—গীতাৰ্থ সন্দীপনী, কৃষ্ণানন্দ স্বামী।

(৫) ভগৱান পৰমাত্মা, নিত্যবৰ্ত্তমান, সেই কাৰণেই তেওঁ সৎ, অনিত্য ব্যক্তৰূপ জগতো তেওঁৱেই, সেই হেতুকে তেওঁ অসৎ।—শ্ৰীধৰ স্বামীকৃত টীকা।

(৬) ভগৱানৰ নানা পন্থীয়া উপাসকৰ ভিতৰত সকাম সাধকৰ কিৰূপ গতি হয়, তাৰে ব্যাখ্যা।

(৭) গীতা, নৱম আধ্যা, ১৪—২৪ শ্লোকৰ সংযোগ ব্যাখ্যা।

(৮) ভগৱানক কিৰূপে আৰাধনা কৰিলে ভগৱৎপদ লাভ কৰা যায়, ই তাৰে সঙ্কেত মাথোন। ইয়াৰপৰাই 'কৃষ্ণায় অৰ্পণমস্তু' বচনৰ গূঢ়াৰ্থ বুজিব লাগে। দোৱা-কোৱাৰ প্ৰয়োজন নাই যে, 'মই', 'মোৰ', 'মোক' ইত্যাদিয়ে কৃষ্ণৰূপ পৰব্ৰহ্মক বুজাইছে।

আৰু মযো সিবিলাকৰ মাজত থাকোঁ। পাপী দুৰাচাৰেও যদি একান্ত চিত্তেৰে মোক আৰাধনা কৰে, তাৰো বাঞ্ছা সিদ্ধি হয, কিযনো ভক্তি অথলে নাযায। তেনেকুৱা জীৱ ততালিকে ধৰ্ম্ম পন্থাপ্ৰাপ্ত হয, কাৰণ মোৰ ভক্ত বিনাশপ্ৰাপ্ত কাচিতো হব নোৱাৰে।[১] স্ত্ৰী, বৈশ্য, শূদ্ৰ আদি বেদশাস্ত্ৰজ্ঞানত হীন জাতিৰ[২] মানুহেও মোৰ আশ্ৰযত পৰমগতি লাভ কৰে,—ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ৰ তো কথাই নাই। এতেকে, হে অৰ্জুন! ক্ষত্ৰিয়তনয তুমি,[৩] নশ্বৰ দেহাৰ মাযা পৰিহাৰ কৰি ভক্তিপৰাযণ হোৱাঁ। তুমি মদগতচিত্ত, মদ্ভক্ত আৰু মোৰ পূজা পৰাযণ হৈ মোক নমস্কাৰ কৰাঁ। এইৰূপে মোৰ শৰণাগত হৈ, তোমাৰ আত্মা মোক সমৰ্পণ কৰি, তুমি মোক লাভ কৰাঁ।"[৪]

বিংশ আধ্যা

(ধ্যানযোগ)

ভগৱান-বিভূতি,—স্বপ্ৰকাশ

ইযাৰ আগৰ তিনিটা ছেদত[৫] ভগৱান শ্ৰীকৃষ্ণই পৰমাত্মাৰ স্বৰূপ আৰু বিভূতিৰাশিৰ[৬] চমু ব্যাখ্যা বা তাৰ আভাস মাথোন দিছিল, এই ছেদত ভগৱানে ধ্যান সুগমাৰ্থে তাৰ বিশদ ব্যাখ্যা দিবলৈ প্ৰিয়শিষ্য অৰ্জ্জুনক এই বুলি সম্বোধন কৰিলে, "হে মহাবাহো! তুমি মোৰ ব্যাখ্যা সুন্দৰকৈ হৃদযঙ্গম কৰি আহিছা, গতিকে তোমাৰ পূৰ্ণ হিতাৰ্থে তোমাক আৰু এখানি সদুপদেশ দিওঁ, মন পাৰি শুনিবাঁ।"[৭]

"দেৱতাসকল আৰু মহৰ্ষিগণে মোৰ প্ৰভাব আযত্ত কৰিব নোৱাৰে, কিযনো মই সিবিলাকৰো আদিকাৰণ, অৰ্থাৎ মযে সিবিলাকৰ উৎপাদক আৰু বুদ্ধিৰ প্ৰৱৰ্ত্তক। যি অনাদি-অনন্ত পৰব্ৰহ্মৰ স্বৰূপ জ্ঞান লাভ কৰে, তেওঁ জীৱৰ কায মন বাক্যকৃত ত্ৰিবিধ পাপ, ভূত ভৱিষ্যত-বৰ্ত্তমানৰ পাপৰাশি, আৰু পাপবুদ্ধিৰ বীজ অবিদ্যা আৰু মহামোহৰ পৰা নিষ্কৃতি লাভ কৰে। বুদ্ধি, জ্ঞান, অহংমোহ, ক্ষমা, সত্য, দম, শম, সুখ, দুখ, ভব, অভাব, ভয, অভয, অহিংসা, সমতা, তুষ্টি, তপ, দান, যশ আৰু অপযশ প্ৰাণীবৰ্গৰ এই সমুদায ভিন ভিন্ ভাব[৮] মোৰপৰাই উৎপন্ন, এই সমস্ত বৃত্তিৰ উৎপাদনৰ এক মূলাধাৰ মাথোন মই (পৰব্ৰহ্ম)।[৯]

"হে অৰ্জুন! কেবল সাধাৰণ জীৱগণেই যে মোৰ (ভগবানৰ) বিভূতিৰপৰা উৎপন্ন হৈছে, এনে নহয়,

---

(১) অজ্ঞান বা মোহজনিত ভগবদ্ভক্তৰ কদাপি পতন নাই।

(২) জাতি, বৰ্ণ, বযস, গুণ, অবস্থাদি নিৰ্ব্বিশেষে ভক্তিৰ অধিকাৰী, —"যথা ভক্তি তথা মুক্তি"।

(৩) ক্ষত্ৰিযতনয বুলি বুদ্ধিস্বৰ্গ শ্ৰীকৃষ্ণই অৰ্জ্জুনক স্বধৰ্ম্ম পালনলৈ, অৰ্থাৎ যুদ্ধত প্ৰবৃত্ত হবলৈ প্ৰকাৰান্তৰে উদগনি দিছে।

(৪) গীতা, নৱম আধ্যা, ২৫ ৩৪ শ্লোকৰ সংযোগ ব্যাখ্যা।

(৫) গীতাৰ ৭ম, ৮ম, আৰু ৯ম আধ্যা।

(৬) ভগবানৰ স্বপ্ৰকাশৰ আহিলা পাতি, অৰ্থাৎ প্ৰকৃতিস্থ পদাৰ্থসমূহ।

(৭) গীতা, দশম আধ্যা, ১ম শ্লোক।

(৮) সূক্ষ্মাৰ্থবোধক শক্তিৰ নাম বুদ্ধি, আত্ম অনাত্ম পদাৰ্থৰ বিচাৰশক্তিৰ নাম জ্ঞান, জ্ঞাতব্য আৰু কৰ্ত্তব্যৰ অৰ্থে অব্যাকুলতাৰ নাম অহংমোহ, দণ্ড-বিধাযক প্ৰবৃত্তিক নিবৃত্ত কৰা শক্তিৰ নাম ক্ষমা, স্বৰূপ নিৰূপণ প্ৰবৃত্তিৰ নাম সত্য, ইন্দ্ৰিযগণক নিবৃত্ত কৰা শক্তিৰ নাম দম, যি বৃত্তিৰ প্ৰভাৱত শব্দাদি বিষযে অন্তঃকৰণত ঠাই নাপায়, তাৰ নাম শম, যি অৱস্থাত চিত্ত প্ৰসন্ন হয়, তাৰ নাম সুখ, যি জীৱৰ পৰিতাপৰ কাৰণ, সিয়ে দুখ, উৎপত্তিৰ নাম ভব, অসত্তাৰ নাম অভাব, আশঙ্কাত ভয়, নিঃশঙ্কাত অভয়, জীৱক দুখ নিদিবৰ প্ৰবৃত্তিয়েই অহিংসা, ইষ্টানিষ্ট ৰাগদ্বেষাদিশূন্য অৱস্থাই সমতা, তৃপ্তিলাভৰ নাম তুষ্টি, ব্ৰত সাধনৰ নাম তপঃ, অযাচিতে বিলোৱাৰ নাম দান, প্ৰশংসাৰ নাম যশ, লোকাপবাদৰ নাম অপযশ।

—গীতাৰ্থ সন্দীপনী, কৃষ্ণানন্দস্বামী।

(৯) গীতা, দশম আধ্যা, ২ -৫ শ্লোকৰ সংযোগ-ব্যাখ্যা।

প্ৰজাস্ৰষ্টা চতুৰ্দ্দশ মনু[১], বেদপ্ৰচাৰক সপ্তৰ্ষি[২], আৰু তৎ-পূৰ্ব্ববৰ্ত্তী চাৰি মহৰ্ষি[৩], এই সকলো মোৰপৰাই (ভগৱৎ-সত্তাৰপৰা) উৎপন্ন হৈছে। যি মোৰ বিভূতি আৰু যোগ বিষয়ক তত্ত্বজ্ঞান লাভ কৰিছে, তেওঁৰেই যথাৰ্থতে সমাহিত, তেওঁৰ অবিদিত একো নাই। ময়েই এই জগৎ উৎপত্তিৰ কাৰণ, মোৰপৰাই জ্ঞান-বুদ্ধিৰ উৎপত্তি, এই কথাত যাৰ স্থিৰ বিশ্বাস, তেওঁৰেই যথাৰ্থতে ভগৱৎ আৰাধনা কৰে। যাৰ মন-প্ৰাণ ভগৱানময় হয়, সেই ভগৱদ্ভক্তই পৰস্পৰে ভগৱৎ কীৰ্ত্তনত পৰম শান্তি লাভ কৰে। যি একাগ্ৰ-চিত্তেৰে মোক ভজনা কৰে, তেওঁক মই বুদ্ধিযোগ প্ৰদান কৰোঁ, যাতে তেওঁ অনাযাসে মোক লাভ কৰিব পাৰে। সেই ভক্তৰ অন্তৰত থিত লৈ মই তেওঁৰ মনৰপৰা অজ্ঞান-আন্ধাৰ জ্ঞানবুদ্ধিৰ পোহৰেৰে নাশ কৰোঁ।”[৪]

ভগৱান শ্ৰীকৃষ্ণৰ জ্ঞানগৰ্ভ শাস্ত্ৰমূলক ভগৱদ্ব্যাখ্যা একাগ্ৰচিত্তেৰে শ্ৰৱণ কৰি তন্ময় হৈ ভক্তশিষ্য মহাবাহু অৰ্জ্জুনে ব্যাকুল অন্তৰেৰে পৰমগুৰু শ্ৰীকৃষ্ণত এই বুলি সভক্তি নিবেদন জ্ঞাপন কৰিলে, “হে ভগৱান! তুমিয়েই পৰব্ৰহ্ম, পৰম আশ্ৰয়, তুমি পৰম পবিত্ৰ। দেৱৰ্ষি নাৰদ আৰু ব্যাস আদি মুনিগণে তোমাক নিত্য, স্বপ্ৰকাশ, আদিদেৱ, জন্মৰহিত আৰু সৰ্ব্বব্যাপী পৰমাত্মা পুৰুষ বুলি ব্যাখ্যা কৰিছে; এতিয়া স্বয়ং তোমাৰপৰাও মই ঠিক সেই একে ব্যাখ্যাকে লাভ কৰি চৰিতাৰ্থ হৈছোঁ। হে কেশৱ! মই সকলো তথ্যজ্ঞান সত্য বুলি গ্ৰহণ কৰিছোঁ। প্ৰভো! তোমাৰ মহিমা দেৱ-দানৱেও বুজিব নোৱাৰে। হে ভূতভাৱন! হে ভূতেশ! হে দেৱদেৱ! হে জগতপতে! তুমি নিজেই হে নিজক বুজিব পাৰিছা, অন্যে তোমাৰ স্বৰূপ কি বুজিব!”[৫]

“হে ভগৱান! তুমি যি বিভূতিৰ যোগত সৰ্ব্বলোক বিয়াপি আছা, সেই বিভূতিৰাশিৰ সম্যক ব্যাখ্যা তোমাৰ স্বৱচনেৰে শুনিবলৈ বাঞ্ছা কৰোঁ, কিয়নো অন্যৰপৰা সেই সম্যক সম্ভৱপৰ নহয়। হে যোগীৱৰ! তোমাৰ বিভূতি অনন্ত, এতেকে কোন বিভূতিৰে সৈতে কি ভাৱে চিন্তিলে তোমাক জানিব পাৰিম, কৃপা কৰি কৈ দিয়া। হে জনাৰ্দ্দন![৬] তোমাৰ যোগ আৰু বিভূতিৰ তত্ত্বব্যাখ্যা মোক পুনৰপি বিস্তৃতভাৱে দান কৰা, কিয়নো তোমাৰ বচনামৃত শ্ৰৱণ কৰি মোৰ তৃপ্তি পলোৱা নাই।[৭]

পৰম ভক্ত শিষ্য অৰ্জ্জুনৰ একান্ত প্ৰাৰ্থনা পূৰ্ণ কৰাৰ মানসে ভক্তবৎসল ভগৱান শ্ৰীকৃষ্ণই গদ্‌গদ চিত্তেৰে এইবুলি সঞ্চাৰ দিলে, ‘হে কুৰুশ্ৰেষ্ঠ! মোৰ দিব্য বিভূতি অনন্ত, তাক কৈ অন্ত কৰিব নোৱাৰি; তথাপি তোমাৰ অনুৰোধ এৰাব নোৱাৰি তাৰ ঘাই ঘাই গোটা-চেৰেকৰ বৰ্ণনা দিওঁ, শুনিবা। হে গুডাকেশ![৮] ময়ে সৰ্ব্বভূতৰ হৃদয়স্থিত আত্মা; ময়ে জগতৰ সৃষ্টি-স্থিতি-প্ৰলয়ৰ হেতুস্বৰূপ। মই আদিত্যগণৰ মাজত বিষ্ণু, প্ৰকাশকগণৰ মাজত তেজস্বী সূৰ্য্য, বায়ুগণৰ মাজত মৰীচি, নক্ষত্ৰগণৰ মাজত চন্দ্ৰ, মই বেদৰ মাজত সামবেদ[৯], দেৱতাৰ মাজত ইন্দ্ৰ; ইন্দ্ৰিয়গণৰ মাজত মন[১০], ভৌতিক ৰাজ্যত চেতনা-স্বৰূপ, মই ৰুদ্ৰগণৰ[১১] মাজত শঙ্কৰ, যক্ষ-ৰাক্ষসগণৰ মাজত

---

(১) চতুৰ্দ্দশ মনু,—স্বায়ম্ভুৱ, স্বাৰোচিষ, উত্তম, তামস, ৰৈবন্ত, চাক্ষুষ, বৈবস্বত, সাৱৰ্ণি, দক্ষসাৱৰ্ণি, ব্ৰহ্মসাৱৰ্ণি, ধৰ্ম্মসাৱৰ্ণি, ৰুদ্ৰসাৱৰ্ণি, দেৱসাৱৰ্ণি, ইন্দ্ৰসাৱৰ্ণি।

(২) সপ্তৰ্ষি,—ভৃগু, মৰীচি, অত্ৰি, পুলস্ত্য, পুলহ, বশিষ্ঠ, ক্ৰতু।

(৩) চাৰি মহৰ্ষি,—সনৎকুমাৰ, সনক, সনন্দ, সনাতন।

(৪) গীতা, দশম অধ্যা, ৬—১১ শ্লোকৰ সংযোগ-ব্যাখ্যা।

(৫) গীতা, দশম অধ্যা, ১২—১৫ শ্লোকৰ সংযোগ ব্যাখ্যা।

(৬) জীৱগণৰ স্বৰ্গসুখাদি দাতা আৰু মুক্তিবিধান-কৰ্ত্তাৰ নাম জনাৰ্দ্দন।

(৭) গীতা, দশম অধ্যা, ১৬—১৮ শ্লোকৰ সংযোগ-ব্যাখ্যা।

(৮) যি নিদ্ৰাক জয় কৰিছে, তেওঁৰ নাম গুডাকেশ।

(৯) স্বৰমাধুৰীৰ প্ৰাধান্য হেতুকে চাৰিবেদৰ ভিতৰত সামবেদ ভগৱানৰ প্ৰিয়তম বিভূতি।

(১০) একাদশ ইন্দ্ৰিয়ৰ মাজত মনেই ৰজা।

(১১) একাদশ ৰুদ্ৰ:—অজ, একপাদ, অহিব্ৰধ্ন, পিনাকী, অপৰাজিত, ত্ৰ্যম্বক, মহেশ্বৰ, শম্ভু, বৃষাকপি, হৰ আৰু ঈশ্বৰ।

কুবেৰ, অষ্টবসুৰ[১] মাজত অগ্নি, পৰ্ব্বতগণৰ মাজত সুমেৰু[২]।"[৩]

"হে পাৰ্থ! মোক পুৰোহিতগণৰ মাজত বৃহস্পতি, সেনাপতিসকলৰ মাজত কাৰ্ত্তিকেয়, জলাশয়সমূহৰ মাজত সাগৰ বুলি জানিবা, মই মহৰ্ষিগণৰ মাজত ভৃগু, বাক্য-সমূহৰ মাজত একাক্ষৰ ওঁকাৰ, যজ্ঞসমূহৰ মাজত জপজপ যজ্ঞ, স্থাৱৰজঙ্গমৰ ভিতৰত হিমালয, বৃক্ষসমূহৰ মাজত অশ্বত্থ, দেৱৰ্ষিৰ ভিতৰত নাৰদ, গন্ধৰ্ব্বৰ মাজত চিত্ৰৰথ[৪], সিদ্ধসকলৰ মাজত কপিলমুনি[৫], ইসৱ মোৰ বিভূতি। মোক অশ্বগণৰ মাজত অমৃতমন্থনৰ কালত উৎপন্ন হোৱা উচ্চৈঃশ্ৰৱা, হস্তীৰ মাজত ঐৰাৱত[৬], মানুহৰ মাজত ৰজা বুলি জানিবা, মই অস্ত্ৰসমূহৰ মাজত বজ্ৰ[৭], ধেনুগণৰ মাজত কামধেনু[৮], পুত্ৰ উৎপাদনৰ অৰ্থে কন্দৰ্প, সৰ্পজাতিৰ ভিতৰত বাসুকি[৯], নাগগণৰ মাজত অনন্ত[১০], জলচৰৰ ভিতৰত বৰুণ, পিতৃগণৰ[১১] মাজত অৰ্য্যমা, নিয়ম বিহোঁতাৰ মাজত যম, ইসৱো মোৰ বিভূতি বুলি জানিবা। মোৰ বিভূতি দৈত্যৰ মাজত প্ৰহ্লাদ, সংখ্যাগণকৰ মাজত কাল, পশুৰ মাজত মৃগেন্দ্ৰ (সিংহ), পক্ষীৰ মাজত গৰুড, বেগীৰ মাজত মই পৱন, ধনুৰ্দ্ধৰৰ ভিতৰত মই ৰাম, মাছৰ মাজত মই মকৰ[১২], নৈৰ ভিতৰত মই গঙ্গা।"[১৩]

"হে অৰ্জ্জুন! সৃষ্ট বস্তবোৰৰ[১৪] উৎপত্তি, স্থিতি আৰু প্ৰলয়ৰ কাৰণময়েই, বিদ্যাৰ ভিতৰত অধ্যাত্ম বিদ্যা[১৫] ময়েই, তাৰ্কিকৰ মাজত বাদ[১৬]নামক তৰ্ক ময়েই, অক্ষৰ-সমূহৰ মাজত মই অকাৰ, সমাসৰ মাজত মই দ্বন্দ্ব-সমাস, ময়েই অক্ষয় কাল, ময়েই কৰ্ম্মফলদাতাসকলৰ মাজত কৰ্ম্মফল-বিধাতা ঈশ্বৰ, মই সংহাৰীৰ ভিতৰত মৃত্যু, ভাবি কল্যাণৰ মাজত অভ্যুদয়, নাৰীগণৰ মাজত মই কীৰ্ত্তি, বাক, স্মৃতি, মেধা, ধৃতি আৰু ক্ষমা, গীতিৰূপ সামসমূহৰ ভিতৰত মই বৃহৎসাম (ইন্দ্ৰৰ স্তুতি-গীতি), ছন্দসমূহৰ মাজত মই গায়ত্ৰী, মাহসমূহৰ মাজত মই আঘোন মাহ, ঋতুসমূহৰ মাজত মই বসন্ত ঋতু, মই প্ৰৱঞ্চকৰ মাজত পাশতী (দ্যূতক্ৰীড়া), মই তেজস্বী পুৰুষগণৰ তেজ, বিজয়ী পুৰুষগণৰ জয়, উদ্যোগী পুৰুষগণৰ অধ্যৱসায়, সাত্ত্বিকগণৰ সত্বগুণ, মই বৃষ্ণিবংশী যাদৱগণৰ মাজত বাসুদেৱ, মই পাণ্ডৱগণৰ মাজত ধনঞ্জয়, মই মুনিগণৰ মাজত বেদব্যাস, মই কবিসকলৰ মাজত শুক্ৰ, মই দমন-কাৰীগণৰ দণ্ড, জয়েচ্ছুগণৰ ন্যায়ৰূপ নীতি, গোপ্য বিষয়-সমূহৰ মাজত মৌনাৱলম্বন, জ্ঞানীগণৰ জ্ঞানস্বৰূপ।"[১৭]

"হে অৰ্জ্জুন! ভূতসমূহৰ যি মূল কাৰণ, সিও ময়েই, সেই মূল কাৰণ নোহোৱাকৈ উৎপন্ন হব পাৰে এনে বস্তু চৰাচৰ জগতত নাই। হে পৰন্তপ! মোৰ বিভূতিৰ সীমা নাই, ইমানলৈকে যি কোৱা গল, সি মোৰ দিব্য বিভূতিৰ

(১) অষ্টবসু:—ভব, ধ্ৰুব, সোম, বিষ্ণু, অনল, অনিল, প্ৰত্যূষ আৰু প্ৰভব।

(২) পৰ্ব্বতৰ ভিতৰত সুমেৰু স্বৰ্ণৰত্নাদি বিভূতিৰ প্ৰধান আকৰ।

(৩) গীতা, দশম আধ্যা, ১৯—২৩ শ্লোকৰ সংযোগ-ব্যাখ্যা।

(৪) ৰূপত অতুলন আৰু সঙ্গীত বিদ্যাত অগ্ৰগণ্য বাবে চিত্ৰৰথ ভগৱানৰ প্ৰিয় বিভূতি।

(৫) ধৰ্ম্ম, জ্ঞান, বৈৰাগ্য, ঐশ্বৰ্য্যাদিৰ বলত কপিল মুনি সকলো সিদ্ধতকৈ শ্ৰেষ্ঠ।

(৬) ঐৰাৱত দেৱৰাজ ইন্দ্ৰৰ বাহন হেতুকে শ্ৰেষ্ঠ।

(৭) বজ্ৰাস্ত্ৰ দধীচিমুনিৰ অস্থিজাত বজ্ৰত তপঃযুত তীক্ষ্ণতা বৰ্ত্তমান।

(৮) যেয়ে যেতিয়াই যিহকে প্ৰাৰ্থনা কৰে, কামধেনুৱে ওচৰত সিয়ে তেতিয়াই তাকে লাভ কৰে।

(৯) বাসুকি সৰ্পৰাজ, গতিকে আটাইতকৈ বিষাল।

(১০) নাগ সৰ্পৰপৰা সুকীয়া, সৰ্প বিষধৰ, নাগ বিষহীন। নাগৰাজ অনন্ত বিষ্ণুৰ বাহন।

(১১) পিতৃগণ:—অগ্নিষ্বাত, সৌম্য, উষ্মপ, সুকালী, হবিষ্মান্, বৰ্হিষৎ আৰু আজ্যপ।

(১২) মকৰ গঙ্গাদেৱীৰ বাহন।

(১৩) গীতা, দশম আধ্যা, ২৪—৩১ শ্লোক।

(১৪) অচেতন জগত। চেতন জগতৰ কথা কৈ অহা হৈছে।

(১৫) এই বিদ্যাৰ দ্বাৰাই জীৱৰ ব্ৰহ্মত্ব বুদ্ধিৰ উদয় হয়।

(১৬) গুৰু-শিষ্য আৰু সজ্জনৰ মাজত সত্যতথ্য নিৰূপণাৰ্থে যি প্ৰশ্নোত্তৰাদি হয়, তাৰ নাম বাদ।

(১৭) গীতা, দশম আধ্যা, ৩২—৩৮ শ্লোক।

সংক্ষেপ লেখ মাথোন। বাস্তৱতে সমস্ত বিভূতিৰ বৰ্ণনা দিয়াটো সম্ভৱপৰ নহয়। মূৰ্ত্তিতে যি যি পদাৰ্থ ঐশ্বৰ্য্যশালী, লক্ষ্মী বা শোভাসম্পন্ন, প্ৰভাৱসম্পন্ন, সেই সেই পদাৰ্থই মোৰ প্ৰভাৱৰ অংশৰপৰা উৎপন্ন বুলি জানিবাঁ; অৰ্থাৎ যি উৎকৃষ্ট, যি শ্ৰেষ্ঠ, য'ত অসাধাৰণ লক্ষণ দেখিবাঁ, তাতেই ভগৱানৰ শক্তিৰ বিকাশ বুলি বুজি লবাঁ। নাইবা, হে অৰ্জ্জুন! তোমাৰ আৰু অধিক জানিবৰ প্ৰয়োজন কি? মুঠতে ইয়াকে জানি লবাঁ যে, মোৰ একাংশত মাথোন এই সমস্ত জগতক ধাৰণ কৰি মই অৱস্থিতি কৰিছোঁ; অৰ্থাৎ পৰমেশ্বৰৰ একাংশত[১] মাথোন জগৎ অৱস্থিত। এনে ভাৱে পৰমেশ্বৰক সৰ্ব্বব্যাপী বিৰাট পুৰুষৰূপে ধ্যান কৰিবাঁ।"[২]

এই ধ্যানযোগ আয়ত্ত কৰি উঠা সকলোৰে পক্ষে সম্ভৱপৰ বা সহজসাধ্য নহয়, গতিকে ই পৰম গুহ্য; অৰ্জ্জুনক মহাসংযমী, মহাশক্তিশালী বুলি নিঃসংশয়কৈ জানি হে আত্মজ্ঞানী তত্ত্বদৰ্শী ভগৱান শ্ৰীকৃষ্ণই এই নিগূঢ় তত্ত্বৰ উত্তমাংশ তেওঁত ব্যাখ্যা কৰিলে।

একবিংশ আধ্যা

দিব্যদৰ্শন,—বিশ্ববিকাশ

ভগৱানৰ বিভূতি ব্যাখ্যাত সম্মোহিত হৈ পৰমাৰ্থপ্ৰাৰ্থী ভক্তশিষ্য কৃষ্ণপ্ৰাণ অৰ্জ্জুনে পৰম ভক্তিৰে সৈতে মহাগুৰু বাসুদেৱত এই বুলি গদ্গদ চিত্তেৰে হৃদয়ৰ কৃতজ্ঞতা জ্ঞাপন কৰিলে,—"হে প্ৰভো! তুমি কৃপা কৰি মোক যি অধ্যাত্ম তত্ত্বৰ পৰম গুহ্য কথা বৰ্ণনা কৰিলাঁ, তাৰ দ্বাৰাই মোৰ মোহ অপনোদিত হল। এই চৰাচৰ জগতৰ উৎপত্তি, স্থিতি আৰু প্ৰলয় বিষয়ক গুহ্যতত্ত্বও মই হৃদয়ঙ্গম কৰিলোঁ। কিন্তু, হে পৰমেশ্বৰ! তোমাৰ ঐশিকৰূপৰ বিষয়ে যি বৰ্ণনা দিলাঁ, তাৰ দ্বাৰাই তোমাৰ ঐশিকৰূপ সাক্ষাৎ স্বৰূপে দেখা পাবলৈ মোৰ প্ৰাণৰ ধাউতি হৈছে। এতেকে, হে অন্তৰ্য্যামী প্ৰভো! সেই অবিনাশী পৰমাত্মা ৰূপ দেখা পাবলৈ যদি মই যোগ্য হওঁ, তেন্তে, হে যোগেশ্বৰ, সাক্ষাৎ স্বৰূপ দৰ্শন দি মোক ধন্য কৰাঁ।"[৩]

ভকতবৎসল ভগৱান শ্ৰীকৃষ্ণই ভক্তশিষ্য অৰ্জ্জুনৰ অন্তৰৰ উদ্বেগ বুজিব পাৰি, আৰু তেওঁক তেওঁৰ প্ৰতি তন্ময় ভাৱত উন্মত্ত হোৱা দেখি, সেই ছেগতে নিজ বিমোহন[৪] শক্তিৰে অৰ্জ্জুনক অতিশয় সম্মোহিত কৰি পৰম হৰ্ষ চিত্তেৰে এই বুলি সমিধান দিলে, "হে পাৰ্থ! তোমাৰ হাবিয়াস পূৰ্ণ হওক, বিবিধ বৰণীয়া বিবিধ আকৃতিৰ শত-শত সহস্ৰ-সহস্ৰ অলৌকিক ৰূপ, মোৰ এই এক ৰূপত দৰ্শন কৰাঁ।"[৫]

"হে ভাৰত! চোৱাঁ, মোৰ এই এক দেহতে দ্বাদশ আদিত্য মণ্ডল, অষ্টবসু, একাদশ ৰুদ্ৰ, অশ্বিনীকুমাৰদ্বয়, উনপঞ্চাশ বায়ু আৰু আগেয়ে নেদেখা অনেকানেক অদ্ভুত ৰূপ চাই লোৱাঁ। হে গুডাকেশ! মোৰ দেহৰ একাঙ্গতে স্থাবৰজঙ্গম সমন্বিতে সমস্ত জগৎ চাই লোৱাঁ; তোমাৰ চাবলগীয়া[৬] আৰু যি যি চাব লাগে, চাই লোৱাঁ।"[৭]

মহাগুৰু শ্ৰীকৃষ্ণৰ উপদেশ শিৰোধাৰ্য্য কৰি, মহা ভক্ত-শিষ্য অৰ্জ্জুনে আন্ধাৰত খপিৰাৰ দৰে আগে পিছে সোঁৱে-বাৱেঁ ঘূৰি-পকি চাই একো নেদেখি টলকা মাৰি ৰোৱা

---

(১) দৃশ্যমান জগৎ পৰমাত্মাৰ একাংশ, অৰ্থাৎ এক পাদ মাথোন, আন তিনি পাদ পৰব্ৰহ্মৰ নিৰ্গুণ স্বৰূপত অৱস্থিত।

(২) গীতা, দশম আধ্যা, ৩৯—৪২ শ্লোক।

(৩) গীতা, একাদশ আধ্যা, ১—৪ শ্লোক।

(৪)* শ্ৰীকৃষ্ণ বাহ্যিক ৰূপেৰেই জগন্মোহন; তদুপৰি আধ্যাত্মিক ৰূপৰ সম্মোহিনী শক্তিৰ প্ৰভাৱ! বিশেষকৈ, ভগৱান বাসুদেৱে সাময়িক আসন্ন ছেগত যি বাৎসল্য ভাৱেৰে তন্ময়চিতীয়া ভক্তশিষ্য অৰ্জ্জুনক গুহ্যতম বিভূতি-ব্যাখ্যা দিছিল, সেই ছেগত শ্ৰোতা বিমোহিত আৰু আপোন-পাহৰা হোৱাটো একো আচৰিত নহয়। আৰু, মানুহে তন্ময় ভাৱত যি ক্ষণত যি ভাৱে, তাকে সাক্ষাৎ স্বৰূপ দেখাটো অস্বাভাৱিক নহয়।

(৫) গীতা, একাদশ আধ্যা, ৫ম শ্লোক:
পশ্য মে পাৰ্থ ৰূপাণি শতশোঽথ সহস্ৰশঃ।
নানাবিধানি দিব্যানি নানাবৰ্ণাকৃতীনি চ॥

(৬) এই খিনিতে অৰ্জ্জুনক সঙ্কেত্ দিয়া হৈছে যে, তেওঁ মন কৰিলে উপস্থিত মহাযুদ্ধখনৰো ভূত-ভবিষ্যত-বৰ্ত্তমানৰ সাক্ষাৎ দৃষ্টি এই ছেগতে লাভ কৰিব পাৰে।

(৭) গীতা, একাদশ আধ্যা, ৬—৭ শ্লোক।

দেখি তত্ত্বদৰ্শী ভগৱান বাসুদেৱে অৰ্জ্জুনৰ মনোভাব বুজিব পাৰি হৰিষ্ চিতেৰে আত্মজ্ঞান আৰু ঐশিক বিভূতি ধ্যানলৈ সঙ্কেত দি, এই বুলি পুনৰপি উপদেশ দিলে, "হে অৰ্জ্জুন! তুমি তোমাৰ চৰ্ম্মচকুৰে[১] মোৰ দিব্যৰূপ[২] সাক্ষাৎ স্বৰূপে দেখা নোপোৱাঁ, গতিকে তোমাক মই দিব্যচকু[৩] দান কৰিছোঁ। তাৰে সৈতে তুমি মোৰ ঐশ্বৰিক যোগ-শক্তি দৰ্শন কৰাঁ।"[৪]

উপযুক্ত গুৰুৰ উপযুক্ত শিষ্য। তত্ত্বজ্ঞানী ভগৱান শ্ৰীকৃষ্ণৰ উপদেশ অনুসৰি তীক্ষ্ণবুদ্ধি, স্থিৰমতি অৰ্জ্জুনে চকু মুদি ধ্যানত পৰম আনন্দেৰে পৰমানন্দ কৃষ্ণমূৰ্ত্তিত বিশ্বৰূপ দৰ্শন কৰিবলৈ ধৰিলে। অৰ্জ্জুনে কৃষ্ণৰূপী ভগৱানত বহুমুখ আৰু বহুনেত্ৰবিশিষ্ট অসংখ্যাত অদ্ভুত আকৃতিৰ গদা, চক্ৰ আদি দিব্য আযুধযুক্ত পৰম ৰমণীয় ৰূপ দেখিবলৈ ধৰিলে। দিব্য মালা, দিব্য বস্ত্ৰ, দিব্য সুগন্ধি বস্তুৰে সৈতে অনুলিপ্ত শ্ৰীকৃষ্ণৰ এনে মনোময় ৰূপ চাই চাই অৰ্জ্জুনৰ তৃপ্তি নপলায়! সেই বিশ্বৰূপত অৰ্জ্জুনে সমস্ত জগৎ নানা ভাগত বিভক্ত দেখিলে। শেহান্তৰত ধনঞ্জয়ে বিস্ময় মানি মূৰ দোঁৱাই প্ৰণাম কৰি কৰযুৰি ব্যাকুলভাৱে ভগৱান শ্ৰীকৃষ্ণত এই বুলি নিবেদিবলৈ ধৰিলে[৫] :

"হে দেৱ! তোমাৰ এই বিশ্বৰূপ দেৱদেহত মই সকলো দেৱতাকে দেখা পাইছোঁ, স্থাৱৰজঙ্গম ভূতসমূহক দেখা পাইছোঁ; সৰ্পসমূহক দেখিছোঁ, ঋষিগণক দেখিছোঁ; সৰ্ব্বনিয়ন্তা পদ্মাসনস্থিত ব্ৰহ্মাকো দেখা পাইছোঁ। হে বিশ্বেশ্বৰ! হে বিশ্বৰূপ! হে বহুবাহো! বহু-উদৰ, বহুমুখ, বহুনেত্ৰবিশিষ্ট অনন্তৰূপধাৰী ভগৱান! তোমাক সৰ্ব্বত্ৰতে সৰ্ব্বব্যাপীৰূপে দেখা পাইছোঁ, তোমাৰ অন্ত-মধ্য-আদি পৰ্য্যন্ত দেখি পৰম পুলকিত হৈছোঁ। হে প্ৰভো! কিৰীটিযুত গদাচক্ৰধাৰী মহাদীপ্তিমান তোমাৰ অপ্ৰমেয় ৰূপ সৰ্ব্বত্ৰতে বিৰাজমান দেখিছোঁ। হে ঈশ্বৰ! তুমিয়েই পৰম অক্ষৰ, তুমিয়েই পৰম জ্ঞাতব্য, তুমিয়েই জগতৰ আশ্ৰয়, তুমিয়েই সনাতন ধৰ্ম্মপাল; তুমিয়েই যে সনাতন পৰমাত্মা পুৰুষ তাত আৰু মোৰ ধনিষ্ঠামানো সন্দেহ নাই। হে ভগৱান্! মই দেখিছোঁ, তুমি উৎপত্তি-স্থিতি-ধ্বংসৰহিত, তুমি অনন্ত-প্ৰভাৱশালী, তুমি অনন্তবাহু, তুমি নিজৰ তেজেৰে সমস্ত জগতক তেজীয়ান কৰি ৰাখিছা। হে পৰমাত্মা! তুমি অকলশৰে স্বৰ্গ, মৰ্ত্ত্য আৰু সৰ্ব্বদিকব্যাপী হৈ আছা, তোমাৰ এই চমৎকাৰ ৰূপ দেখি, আৰু সেই ৰূপৰ উগ্ৰ তেজৰ প্ৰভাৱত ত্ৰিভুবন ভয়ত বিহ্বল হৈ পৰিছে। হে মহাপ্ৰভো! দেখিছোঁ, দেৱতাসকলে ত্ৰাস্তমান হৈ তোমাত শৰণ লৈছে, মহৰ্ষি আৰু সিদ্ধগণে স্বস্তি-বচনেৰে তোমাৰ স্তৱ কৰিছে। হে ভগৱন্ত! মই আৰু দেখিছোঁ, ৰুদ্ৰ, আদিত্য, বসু, সাধ্য, বিশ্বদেৱ, অশ্বিনীকুমাৰদ্বয়, মৰুৎগণ, উষ্মপগণ,[৬] গন্ধৰ্ব্ব, যক্ষ, অসুৰ, সিদ্ধ, সকলোৱেই তোমাক দৰ্শন কৰি বিস্ময় মানিছে। হে মহাবাহো! তোমাৰ এই বিস্ময়জনক বিশ্বৰূপ দৰ্শন কৰি সমস্ত জীৱই ভয়ত ত্ৰাহি ত্ৰাহি কৰিছে, মোৰো আতঙ্ক উপস্থিত হৈছে; এতেকে কৃপা কৰাঁ প্ৰভো!"[৭]

ভগৱান শ্ৰীকৃষ্ণত বিশ্বৰূপ দৰ্শন কৰি ধ্যানমগ্ন অৰ্জ্জুনৰ হৃৎকম্প হল! সমস্ত অঙ্গ-প্ৰত্যঙ্গ কঁপিবলৈ ধৰিলে, আৰু তেওঁ উদ্বাউল দি এই বুলি চিঞৰিবলৈ ধৰিলে, "হে বিষ্ণু! তোমাৰ ভয়ঙ্কৰ মূৰ্ত্তি দেখি মোৰ অকল যে আতঙ্কই হৈছে এনে নহয়, তোমাৰ উজ্জ্বল দীপ্তি মোৰ চকুৱে সহিব পৰা

(১) চৰ্ম্মচকু মানে বাহ্যিক দৃষ্টি, অৰ্থাৎ মানুহৰ সাধাৰণ চকুৰে চোৱা চিন্তাহীন আৰু তত্ত্বহীন উপৰুৱা দৃষ্টি।

(২) দিব্যৰূপ অৰ্থত বিভূতি সম্মিলিতে ভগৱানৰ বিশ্ববিকাশ।

(৩) দিব্যচকু অৰ্থত ধ্যান বা অন্তঃকৰণস্থিত জ্ঞান-শক্তিৰ প্ৰভাৱ। ইয়াৰ দ্বাৰাই সূক্ষ্মদৰ্শী ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনক চিত্ত স্থিৰ হৈ আত্মজ্ঞান লভি পূৰ্ব্বব্যাখ্যাত বিভূতিৰ পুনৰাবৃত্তিৰে সৈতে ভগৱানৰ বিশ্ববিকাশ ধ্যান কৰিবলৈ সঙ্কেত দিলে; আৰু প্ৰত্যুৎপন্নমতি বুদ্ধিমান পাৰ্থ বীৰে অনতিপলমে সেই উপদেশ অনুসৰণ কৰিলে।

(৪) গীতা, একাদশ আধ্যা, ৮ম শ্লোক।

(৫) গীতা, একাদশ আধ্যা, ৯—১৪ শ্লোক।

(৬) উষ্মপগণ মানে পিতৃগণ। বংশধৰগণে শ্ৰদ্ধাৰে সৈতে শ্ৰাদ্ধ-পিণ্ডাদি দান কৰিলে তাৰ 'উষ্মভাগ', অৰ্থাৎ তাত নিহিত পবিত্ৰ তেজঃশক্তি পান কৰি পুষ্টিলাভ কৰা অৰ্থত 'উষ্মপ' বোলা হয়।

(৭) গীতা, একাদশ আধ্যা, ১৫—২৩ শ্লোক।

নাই; তোমাৰ সৰ্ব্বদিক্‌ব্যাপী ৰূপ মোৰ মনেৰে ধাৰণা কৰিব নোৱাৰা হৈছোঁ; তোমাৰ প্ৰলয়দৃষ্টিযুক্ত বিশাল নেত্ৰৰ আয়োজন দেখি মোৰ চিত্তবৈকল্য ঘটিছে; আন কি, মই স্থিৰেৰে ৰব নোৱাৰাত পৰিছোঁ; এতেকে, প্ৰভো! তোমাৰ এই ৰূপ সলাই পুনঃ শান্তিৰূপ ধাৰণ কৰাঁ। হে জগন্নিবাস! তুমি প্ৰসন্ন হোৱা।"[১]

"হে ভগৱান! আৰু দেখিছোঁ, বিপক্ষীয় ৰাজন্যবৰ্গৰে সৈতে ধৃতৰাষ্ট্ৰৰ পুত্ৰগণ ভীষ্ম, দ্ৰোণ, কৰ্ণ এই তিনি বীৰে সৈতে, আৰু আমাৰ পক্ষীয় যোদ্ধাগণ তোমাৰ মুখ-গহ্বৰত প্ৰবল বেগেৰে প্ৰৱেশ কৰিব লাগিছে। দুষ্ট দুৰ্য্যোধনাদি তোমাৰ দাঁত-নিকটন মুখৰ ফালে ধাবিত হৈছে, প্ৰৱেশ কালত কাৰো বা মূৰ চূৰ্ণাকৃত হৈছে, কাৰো বা লাওখোলা তোমাৰ দাঁত-কৰালত লাগি গৈছে। যি দৰে নানা ফালৰ-পৰা নৈবিলাক বৈ আহি নানামুখীয়া হৈ সাগৰত আপোনা আপুনি সোমায় গৈ, সেই দৰে এই বীৰগণে আপোনা-আপুনি গৈ তোমাৰ উন্মুক্ত মুখত সোমাইছে গৈ। হে বিষ্ণু! তুমিও যেন[২] সেই সকলোকে গৰাহ মাৰিবৰ উদ্দেশে মুখ মেলি আছাঁ, আৰু তোমাৰ জিভাই লকলকাব লাগিছে! আৰু, তোমাৰ কান্তিৰ উগ্ৰদীপ্তিয়ে যেন জগতক সন্তপ্ত কৰিছে! হে ভগৱান! এই উগ্ৰমূৰ্ত্তিধাৰী তুমি কোন্?[৩] মোক কৃপা কৰি কৈ দিয়াঁ। হে দেৱবৰ! তুমি মোৰ প্ৰতি প্ৰসন্ন হোৱাঁ। তোমাৰ এই বিকট বিশ্বৰূপৰ নিগূঢ় তত্ত্ব ব্যাখ্যা কৰি মোৰ মনোৰথ পূৰ্ণ কৰাঁ।"[৪]

অৰ্জ্জুনৰ সন্দিহান অনুসন্ধানত ভগৱান শ্ৰীকৃষ্ণই এই বুলি তত্ত্ব সমিচাৰ দিলে, "হে অৰ্জ্জুন! তুমি বুজিবলৈ বাকী নাই যে, সমস্ত প্ৰাণীকে ময়ে (পৰব্ৰহ্মই) সৃষ্টি কৰোঁ, আৰু প্ৰয়োজন মতে ময়ে সংহাৰ কৰোঁ। এতিয়া সেই প্ৰয়োজন উপস্থিত। কিয়নো, পৃথিবীত অধৰ্ম্ম বঢোৱাৰ বাবে দুৰ্য্যোধনাদি কু-প্ৰবৃত্তিৰ লোকগণ মোৰ সংহাৰিণী মায়াৰ শাসনাধীন হৈছে, লগে লগে সিবিলাকৰ পক্ষীয় ভীষ্ম-দ্ৰোণাদিয়েও এই যাত্ৰাত তনু ত্যাগ কৰিব লাগিব, তুমি মাৰাঁই বা নামাৰাঁ[৩], সিবিলাকৰ মৰণ অনিবাৰ্য্য। এতেকে, উঠাঁ, তুমি যুদ্ধৰ নিমিত্তে সষ্টম হোৱা। লোকদৃষ্টিত মাথোঁ বধকাৰী হবাঁ, কিন্তু দেখিছা, সিবিলাক ইতিপূৰ্ব্বেই মৃত্যু-মুখত পৰি ৰৈছে, গতিকে, সিবিলাকক বধ কৰাৰ বাবে যদি তোমাৰ পাপ হব বুলি ভাবিছা, সেই পাপেও তোমাক নাপায়। এতেকে, হে সব্যসাচিন![৫] উঠা, যুদ্ধত প্ৰবৃত্ত হৈ অযাচিতে যশোৰাশি লাভ কৰাঁ। ভীষ্ম, দ্ৰোণ, কৰ্ণ, জয়দ্ৰথ আদি অজেয় বীৰগণক মই বধিয়েই থৈছোঁ, তুমি বাহ্যিক দৃষ্টিত বধিবা মাথোন। অন্যান্য শত্ৰুগণক তুমি অনায়াসে বধ কৰিব পাৰিবাঁ। এতেকে, চিন্তা নাই, তুমি যুদ্ধত জয়ী হবাঁ, উঠাঁ।"[৬]

স্বয়ং কেশৱৰ মুখে আশ্বাস বাণী শুনি ভাৱবিহ্বল কিৰীটিয়ে[৭] হৰ্ষ-কম্পনেৰে গদ্গদভাৱে কৃতাঞ্জলি হৈ শ্ৰীকৃষ্ণ প্ৰভুক প্ৰণাম কৰি এই বুলি কবলৈ ধৰিলে, "হে হৃষীকেশ! হে পৰমাত্মা! হে অনন্ত! হে দেবেশ! হে জগন্নিবাস! তুমি সৃষ্টিকৰ্ত্তা ব্ৰহ্মাৰো গুৰু, তুমিয়েই ব্যক্ত, তুমিয়েই অব্যক্ত, তুমিয়েই অক্ষৰ ব্ৰহ্ম। গতিকে, সকলো দেৱতাই

---

(১) গীতা, একাদশ আধ্যা, ২৪—২৫ শ্লোক।

(২) ভগৱান সৃষ্টি-স্থিতি প্ৰলয়ৰ মূলশক্তি। শ্ৰীকৃষ্ণৰ শান্তিৰূপত ভক্ত অৰ্জ্জুনে সততে সৃষ্টিপালনৰ ক্ৰিয়া দেখি আহিছে; গতিকে এই ভয়ঙ্কৰ বিশ্বৰূপ মূৰ্ত্তি ধ্যানত দেখি তেওঁৰ মনত সন্দেহ উপস্থিত হৈছে, পালনকৰ্ত্তা মহাবিষ্ণুৱে হঠাৎ প্ৰলয়কাৰী মহাৰুদ্ৰৰূপ ধাৰণ কৰিলে কিয়? বাস্তৱতে প্ৰলয় উপস্থিত নে কি?

(৩) গীতা, একাদশ আধ্যা, ২৬—৩১ শ্লোক।

(৪) অৰ্জ্জুনক সঙ্কেত দিয়া হৈছে যে, তেওঁ উপস্থিত যুদ্ধত প্ৰবৃত্ত নহলেও তেওঁক এৰি, আৰু ধৰ্ম্ম-যুধিষ্ঠিৰত বাজে আন কাৰো নিষ্কৃতি নাই, কুৰুক্ষেত্ৰ ৰণৰূপ প্ৰলয়ত অধাৰ্ম্মিক লোকসমূহ নিশ্চয় ধ্বংস হব। ইয়াৰ নিদৰ্শন অৰ্জ্জুনে ধ্যানত নিজেই দেখা পাইছে।

(৫) অৰ্জ্জুনে বাওঁহাতে শৰসন্ধান কৰিব পাৰে হেতুকে তেওঁক সব্যসাচিন বোলে।

(৬) গীতা, একাদশ আধ্যা, ৩২—৩৪ শ্লোক।

(৭) ইন্দ্ৰদত্ত কিৰীটিধাৰী অৰ্থত অৰ্জ্জুনক কিৰীটি বোলা হয়।

তোমাক নমস্কাৰ কৰে। হে অসন্তৰূপ! তুমিয়েই আদিদেৱ, তুমিয়েই পুৰাণপুৰুষ, তুমিয়েই বিশ্বৰ নিধান, তুমিয়েই সৰ্ব্বজ্ঞ, তুমিয়েই জ্ঞেয়; তুমি পৰমধাম! জগতত ওতঃপ্ৰোত-ভাৱে তোমাৰে সত্তা বিদ্যমান।"[১]

"হে ভগৱান! তুমিয়েই বায়ু, যম, অগ্নি, বৰুণ, চন্দ্ৰ, ব্ৰহ্মা আৰু ব্ৰহ্মাৰো পিতৃ; তোমাতপৰ আৰু কেও নাই। এতেকে, হে পৰমাত্মা! তোমাক সহস্ৰ সহস্ৰ বাৰ নমস্কাৰ কৰোঁ, তোমাক পুনঃ পুনঃ নমস্কাৰ কৰোঁ। হে সৰ্ব্বস্বৰূপ! তোমাক বুকুৰ ফালে সেৱা কৰোঁ, পিঠিৰ ফালে সেৱা কৰোঁ সোঁহাতে সেৱা কৰোঁ, বাওঁহাতে সেৱা কৰোঁ। তুমি জগতৰ সৰ্ব্বত্ৰতে বিদ্যমান। গতিকে তুমি সৰ্ব্ব। হে প্ৰভো! তোমাৰ এই বিশ্বৰূপ অজ্ঞাত হেতুকে, তোমাক সময়ত কৃষ্ণ, যাদৱ, সখি ইত্যাদি বুলি সম্বোধন কৰিছোঁ; সেইবাবে মোৰ সৰ্ব্বদোষ ক্ষমা কৰিবা। সমনীয়া ভাৱে কেতিয়াবা তোমাক ইতিকিং নকৰাকৈও থকা নাই, সেইবাবেও যেন, অচ্যুত, মোৰ অপৰাধ মাৰ্জ্জনা কৰিবা। হে অপ্ৰতিম প্ৰভাৱ! তোমাৰ তুলনা তুমিয়েই[২], তোমাত-পৰ আৰু কেও নাই। এতেকে, হে দেৱ! পিতৃয়ে পুত্ৰৰ, সখিয়ে মিত্ৰৰ, পতিয়ে পত্নীৰ অপৰাধ যি ৰূপে মাৰ্জ্জনা কৰে মোৰ সৰ্ব্ব অপৰাধ তুমি সেইৰূপে মাৰ্জ্জনা কৰা। হে ভগৱান! মই তোমাৰ পূৰ্ব্বৰ মোহনমূৰ্ত্তি দেখিবলৈ অভিলাষী হৈ প্ৰাৰ্থনা কৰিছোঁ, তুমি এই ভয়ঙ্কৰ বিশ্বমূৰ্ত্তি এৰি আকৌ সেই সৌম্য মূৰ্ত্তি ধৰা। কিৰীট্যাদিৰে অলঙ্কৃত গদাচক্ৰপাণি কৃষ্ণৰূপ ধাৰণ কৰা।"[৩]

অৰ্জ্জুনৰ কাতৰ স্তুতিত তুষ্ট হৈ ভগৱান শ্ৰীকৃষ্ণই এই বুলি তেওঁক অভয় দান দিলে, "হে অৰ্জ্জুন! তুমি একান্ত শৰণাগত ভক্ত হেতুকে, মোৰ (পৰমাত্মাৰ) বিভূতি ধ্যানত মোত (মৎৰূপ পৰব্ৰহ্মত) এই বিশ্বাত্মক অনাদি অনন্ত তেজোময়ৰূপ দেখা পালা, অন্যৰ ভাগ্যত অদ্যাপি যি লাভ হোৱা নাই। গতিকে, বিশ্বৰূপ দেখি ভয় নাখাবা। বাৰু, তোমাৰ বাঞ্ছা পূৰ্ণ হওক, তুমি চকু মেলি[৪] আগৰ চকুৰে[৫] মোৰ আগৰ ৰূপ দৰ্শন কৰা।" সেই অনুযায়ী ভগৱান শ্ৰীকৃষ্ণৰ পূৰ্ব্বৰূপ দৰ্শন কৰি অৰ্জ্জুনে আশ্বস্ত হৈ নিবেদন কৰিলে, "হে জনাৰ্দ্দন! তোমাৰ শান্তৰূপ দেখি এতিয়া মোৰো প্ৰাণ শাঁত হৈছে।"[৬]

সদৌশেহত ভগৱান শ্ৰীকৃষ্ণই এই বুলি উদগনি দি থলে, "হে অৰ্জ্জুন! তুমি যি উচ্চ উপায়েৰে[৭] বিশ্বৰূপ দৰ্শন কৰিলা, দেৱতাসকলে তপস্যা কৰি আৰু ঋষি-মুনিগণে বেদাধ্যয়ন কৰিও সেই দৰ্শন পাব পৰা নাই। হে পৰন্তপ অৰ্জ্জুন! হে পাণ্ডৱ! যি একান্ত মনেৰে তোমাৰ দৰে মোক (পৰব্ৰহ্মক) ভজনা কৰিব, যি তোমাৰ দৰেই একাগ্ৰচিত্তেৰে মোৰ (পৰমাত্মাৰ) বিভূতি ধ্যান কৰিব পাৰিব, তেৱেঁই মোক (পৰমাত্মাক) অভেদাত্মাৰূপে পাব পাৰিব।"[৮]

দ্বাবিংশ আধ্যা

সাকাৰ আৰু নিৰাকাৰ উপাসনা

সগুণ আৰু নিৰ্গুণ ব্ৰহ্মতত্ত্বৰ ব্যাখ্যা শুনি অৰ্জ্জুনৰ মনত প্ৰশ্ন উঠিল, ইয়াৰ মাজত কোন্ বিধৰ উপাসনা শ্ৰেষ্ঠতৰ। সেই কাৰণে, তেওঁ সভক্তিৰে ভগৱান শ্ৰীকৃষ্ণক অনতিপলমে সুধিলে, "হে কৃষ্ণ! সাকাৰ বা সগুণ ব্ৰহ্মৰ

(১) গীতা, একাদশ আধ্যা, ৩৫—৩৮ শ্লোক।

(২) অপ্ৰতিম প্ৰভাৱ মানে একমেৱাদ্বিতীয়ম্। এয়ে বৌদ্ধধৰ্ম্মৰো মূলমন্ত্ৰ।

(৩) গীতা, একাদশ আধ্যা, ৩৯—৪৬ শ্লোক।

(৪) অৰ্থাৎ, ধ্যানভঙ্গ হৈ। চকু মুদি বিভূতি ধ্যানত অৰ্জ্জুনে বিশ্বৰূপ দেখিছিল; ধ্যান ক্ষান্ত দি চকু মেলা মাত্ৰকে আগতে আকৌ কৃষ্ণৰূপ দেখা পাই তেওঁৰ চিত্ত প্ৰসন্ন হল।

(৫) অৰ্থাৎ, আগৰ চৰ্ম্মচকুৰে। ধ্যানত জ্ঞানচকু আৰু বাহ্যদৰ্শনত চৰ্ম্মচকু ব্যৱহৃত হয়।

(৬) গীতা, একাদশ আধ্যা, ৪৭ শ্লোক।

(৭) ভগৱানৰ বিভূতি ধ্যান।

(৮) গীতা, একাদশ আধ্যা, ৫৩—৫৫ শ্লোক।

উপাসনা[1] আৰু নিৰাকাৰ বা নিগু‍ৰ্ণ ব্ৰহ্মৰ ধ্যান[2], এই দুইৰ মাজত কোন্ বিধ যোগ উত্তম? এই বিষয়ে মোক বিশদকৈ জ্ঞান দিয়া।"[3]

ভগৱান শ্ৰীকৃষ্ণই সমিচাৰ দিলে, "হে অৰ্জুন! মোৰ[4] মনেৰে যি একাগ্ৰচিত্ত আৰু সাত্ত্বিক শ্ৰদ্ধাযুক্ত হৈ মোৰ[5] সগুণ স্বৰূপ বা সাকাৰ ব্ৰহ্মৰ উপাসনা কৰে, তেওঁলোকেই যোগীগণৰ মাজত প্ৰধান। আৰু, যি ইন্দ্ৰিয়াদি নিৰোধ কৰি অনিৰ্দ্দেশ্য[6], অব্যক্ত, সৰ্ব্বব্যাপী, অচিন্ত্য, কূটস্থ[7], অচল, ধ্ৰুৱ[8], অক্ষৰ, নিগু‍ৰ্ণ স্বৰূপ বা নিৰাকাৰ ব্ৰহ্মক ধ্যান কৰে, তেওঁ সেই নিগু‍ৰ্ণ স্বৰূপকে লাভ কৰে।"[9]

"এই দুই পন্থাৰ আৰু এটা ভেদ এই যে, নিগু‍ৰ্ণব্ৰহ্মৰ উপাসনা অতি ক্লেশসাধ্য[10]। কিন্তু, হে পাৰ্থ যি মৎপৰায়ণ হৈ, সমস্ত কৰ্ম্ম মোতেই অৰ্পণ কৰি মোকেই (সগুণ ব্ৰহ্মক) উপাসনা কৰে, তেওঁ অচিৰে অজ্ঞান সংসাৰৰপৰা উদ্ধাৰ পায়। এতেকে, হে অৰ্জুন! তোমাৰ মন অন্য সমস্ত বস্তুৰপৰা টানি আনি মোতে নিবিষ্ট কৰা, বুদ্ধিবৃত্তিত সততে মোকে ধাৰণা কৰা, তাৰ ফলত আপোনা-আপুনি তোমাৰ আত্মজ্ঞান উদয় হব, আৰু মৰণৰ পাচত তুমি মোতেই (শুদ্ধ ব্ৰহ্মত) যে স্থিতি কৰিবা, তাত সংশয় নাই। আৰু, হে ধনঞ্জয়! সগুণ ব্ৰহ্মত যদি মতি স্থিৰ কৰিব নোৱাৰাগৈ, তেন্তে ভগৱৎ কৰ্ম্মপৰায়ণ হোৱা[11], কিয়নো ভগৱানৰ উদ্দেশে কৰ্ম্ম অনুষ্ঠান কৰিলেও মোক্ষ লাভ কৰা যায়। যদি এই কেইবিধ বিধি অনুসৰি কাৰ্য্য কৰি উঠিবগৈ নোৱাৰা, তেন্তে সমস্ত কৰ্ম্ম মোৰ গাতে ন্যস্ত কৰি, ইন্দ্ৰিয়াদি সংযত কৰি, নিত্য-নৈমিত্তিকাদি কৰ্ম্মৰ ফল কামনা পৰিত্যাগ কৰিবা, কিয়নো নিষ্কাম কৰ্ম্ম সাধনেই ভগৱৎ উপদেশৰ মুখ্য অভিপ্ৰায়। হে অৰ্জুন! অভ্যাসযোগতকৈ জ্ঞান শ্ৰেষ্ঠ, জ্ঞানতকৈ ধ্যান শ্ৰেষ্ঠ, ধ্যানতকৈও কৰ্ম্মফলত্যাগ বিশিষ্ট[12]। যি কাৰো অহিত নিচিন্তে, কাকো অহিতাচাৰী নাভাবে, কোনো বস্তুত স্পৃহা নাৰাখে, নিজত অহঙ্কাৰ নোপোহে, সুখে-দুখে সদা অবিচলিত চিত্তেৰে ঈশ্বৰ ভজনা কৰে, তেওঁলোকেই মোৰ প্ৰিয়। যি সদানন্দ, যোগনিষ্ঠ, সংযতচিত্ত, অটল বিশ্বাসী, তেওঁ মোৰ প্ৰিয়ভক্ত। যাৰ দ্বাৰাই অন্যজন সন্তপ্ত নহয়, অন্যজনো যাৰ সন্তাপৰ কাৰণ হবলৈ নাপায়, যি হৰ্ষ, বিষাদ, ভয়, ব্যাকুলতা ইত্যাদিৰ অতীত, তেনে ভক্তও মোৰ অতি প্ৰিয়। যি নিস্পৃহ, শুচি, দক্ষ, উদাসীন, ব্যথাশূন্য, ত্যাগী, তেওঁ মোৰ প্ৰিয়পাত্ৰ। যাৰ মানত শত্ৰু মিত্ৰ, মান-অপমান, শীত-উষ্ণ, সুখ-দুখ সকলো সমান, আৰু যাৰ কোনো বস্তুতেই আসক্তি নাই, তেওঁ মোৰ প্ৰিয়-ভক্ত বুলি জানিবা।"[13]

"হে অৰ্জুন! যাৰ মানত নিন্দা আৰু স্তুতি দুয়ো সমান, যি মৌনব্ৰতী[14], যি অলপতে সন্তুষ্ট, যি অন্যায়ৰহিত, যি স্থিৰমতি, যি অটল ভক্তিমান, তেওঁ মোৰ আদৰৰ

---

(১) পৰব্ৰহ্মৰ সাকাৰ (যেনে, শ্ৰীকৃষ্ণক অৱতাৰ স্বৰূপ) উপাসনা।

(২) যেনে, বিভূতি ধ্যানত বিশ্বৰূপ দৰ্শন।

(৩) গীতা, দ্বাদশ অধ্যা, ১ম শ্লোক।

(৪) এই স্থলত 'মোৰ' অৰ্থত শ্ৰীকৃষ্ণ।

(৫) এই অৰ্থত 'মোৰ' মানে পৰব্ৰহ্ম।

(৬) লৌকিক ভাষাৰে যাক নিৰ্দ্দেশ কৰা নাযায়।

(৭) মিছা হৈয়ো যি সত্যৰ দৰে, সেয়ে কূট বা অজ্ঞান, সেই অজ্ঞানতো সম্বন্ধ ৰাখি যি অধিষ্ঠান কৰে তেওঁলোকেই কূটস্থ।

(৮) ধ্ৰুৱ অৰ্থত যাৰ পৰিণাম নাই, অৰ্থাৎ নিত্য।

(৯) গীতা, দ্বাদশ অধ্যা, ২—৪ শ্লোক।

(১০) কিয়নো, নিগু‍ৰ্ণ ব্ৰহ্মচৰ্য্যা ধৰি ব্ৰহ্মনিষ্ঠ, বেদান্ত শ্ৰৱণ আদি কঠিন ব্ৰত পালন কৰিব লগীয়া হয়।

(১১) ঈশ্বৰৰ নামকীৰ্ত্তন, শ্ৰৱণ, ভগৱানৰ গুণগান কীৰ্ত্তন, ভগৱৎ স্মৰণ, ভগৱৎ পূজন, ভগৱৎ বন্দন ইত্যাদি কৰ্ম্মানুষ্ঠান দ্বাৰাই চিত্তশুদ্ধি আৰু আত্মজ্ঞান লাভ হলেই নিগু‍ৰ্ণ ব্ৰহ্মজ্ঞান লাভ হয়। গীতাৰ্থসন্দীপনী।

(১২) কাৰণ, ত্যাগৰ দ্বাৰাই বাসনা ক্ষয় হয়, আৰু তাৰ দ্বাৰাই জন্ম জন্মান্তৰৰ অদৃষ্ট বা ধৰ্ম্মাধৰ্ম্ম সঞ্চিত হোৱাত প্ৰতিবন্ধক পৰিলেই জীৱৰ মুক্তি বা শান্তি লাভ হয়।—শ্ৰীধৰ স্বামীকৃত টীকা।

(১৩) গীতা, দ্বাদশ অধ্যা, ৫—১৮ শ্লোক।

(১৪) মৌনব্ৰত চিন্তাশীল নিবিষ্টমনা স্থিৰচিত্ত হোৱাৰ আচৰণ।

পাত্ৰ। আৰু, যি এইদৰে ধৰ্ম্মবিষয়ক সুধা পান কৰি শ্ৰদ্ধাবান্ আৰু মৎপৰায়ণ হৈ কাৰ্য্য অনুষ্ঠান কৰে, সেই ভক্ত মোৰ অতিশয় প্ৰিয় বুলি ধ্ৰুৰপকৈ বুজিবা।"[১]

ত্ৰয়োবিংশ আধ্যা

অভেদাত্মা তত্ত্বজ্ঞান

জীৱ আৰু ব্ৰহ্মৰ অভেদ ভাৱ কি? শৰীৰ কি? সুখ, দুখ আদিৰ ভোক্তা কোন? ভিন্ ভিন্ শৰীৰত আত্মা ভিন্-ভিন নে এক?—ইত্যাদি বিষয়ক নিগূঢ় তত্ত্ব জানিবৰ অৰ্থে, আত্মজ্ঞান লাভলৈ প্ৰবল ধাউতি থকা সিদ্ধাৰ্থী অৰ্জ্জুনে গুৰুভক্তিৰে সৈতে শ্ৰীকৃষ্ণত সুধিলে, "হে কেশৱ! প্ৰকৃতি আৰু পুৰুষ, ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞ, জ্ঞান আৰু জ্ঞেয়, এই কেইটা বিষয়ৰ তত্ত্বজ্ঞান দান কৰি মোৰ হাবিয়াস পূৰ্ণ কৰা।"[২]

ভগৱান শ্ৰীকৃষ্ণই অতি হৰিষ্ চিত্তেৰে এই বুলি সমিচাৰ দিলে, "হে কুন্তীনন্দন! দেহা জড় আৰু আত্মা চৈতন্যস্বৰূপ এই তত্ত্বজ্ঞান যি সকলে লাভ কৰিছে, সেই সকলে শৰীৰক ক্ষেত্ৰ[৩] আৰু জীৱক ক্ষেত্ৰজ্ঞ[৪] সংজ্ঞা দিয়ে। হে ভাৰত! তুমি মোক (অদ্বিতীয় ব্ৰহ্মক) সমস্ত ক্ষেত্ৰৰ ক্ষেত্ৰজ্ঞ বুলি জানিবা। ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ পৃথক্ জ্ঞানেই প্ৰকৃত জ্ঞান।"[৫]

"হে অৰ্জ্জুন! এই দেহৰূপ ক্ষেত্ৰ কেনে প্ৰকৃতিৰ, কেনে প্ৰবৃত্তিৰ, কেনে ইন্দ্ৰিয়াশক্তিৰ, কেনে ক্ষেত্ৰৰূপ কাৰণৰপৰা কেনে কাৰ্য্য উৎপন্ন হয়, আৰু ক্ষেত্ৰজ্ঞৰ স্বভাৱ, প্ৰভাৱ আৰু স্বৰূপ কেনে, এই সমস্তৰে তত্ত্ব ভাঙ্গি কওঁ শুনা।— ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ সংজ্ঞাত নানা ঋষিৰ নানা মত। বশিষ্ঠাদি মুনিগণৰ যোগশাস্ত্ৰত ইয়াৰ সূক্ষ্মতত্ত্ব আছে; ঋগাদি বেদতো এই তত্ত্বৰ বিষয়ে বিস্তৰ কোৱা হৈছে; উপনিষদাদি ব্ৰহ্মসূত্ৰ ৰাশিতো ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ স্বৰূপ বৰ্ণনা পোৱা যায়। সেই সমস্তৰে সাৰাংশৰ ব্যাখ্যা দিওঁ শুনা।— চমুকৈ কবলৈ গলে, পঞ্চমহাভূত[৬], অহঙ্কাৰ, বুদ্ধি, অব্যক্ত[৭], দশ ইন্দ্ৰিয়, মন, পঞ্চেন্দ্ৰিয়[৮], ইচ্ছা, দ্বেষ, সুখ, দুখ, সংঘাত, চেতনা, ধৃতি, প্ৰভৃতি ক্ষিতিৰপৰা ধৃতিলৈকে সমস্তই বিকাৰ। এই বিকাৰবিশিষ্ট সামগ্ৰীয়েই ক্ষেত্ৰ।"[৯]

"হে পাৰ্থ! আত্মগুণৰ বাবে অভিমান নকৰা, দম্ভ নকৰা, হিংসা নকৰা, কাৰো অহিত নিচিন্তা, অন্যৰ অপৰাধ ক্ষমা কৰা, বাহ্যে-ভিতৰে সৰল আৰু অকপটীয়া আচৰণ কৰা, গুৰুজনক ভক্তি সেৱা কৰা, বাহিৰে ভিতৰে পৱিত্ৰতা ৰক্ষা কৰা, মনৰ চাঞ্চল্যৰ গতিৰোধ কৰা, আত্মাত পৰমাত্মাৰ থিতাপি কৰা, ইত্যাদিকে জ্ঞান বা জ্ঞানসাধন বোলা যায়। ইন্দ্ৰিয়ভোগ্য বিষয়সমূহত বিৰাগ বা অস্পৃহা, নিৰহঙ্কাৰিতা, জন্ম মৃত্যু, জৰা-ব্যাধি আদি দুখৰূপ দোষাদোষৰ বিষয়ে সততে চিন্তালোচনা ইত্যাদি জ্ঞান সাধনাৰ কাৰ্য্য। পুত্ৰ-পৰিয়াল, ইষ্টানিষ্ট, সুখ-দুখত বৈৰাগ্য, ঈশ্বৰত ঐকান্তিক

---

(১) গীতা, দ্বাদশ আধ্যা, ১৯—২৯ শ্লোক। ব্ৰহ্মৰ নিৰ্গুণ স্বৰূপ লাভেই যে সগুণ ব্ৰহ্মোপাসনাৰ গূঢ় লক্ষ্য, গীতাৰ দ্বাদশ আধ্যাত তাৰেই গুহ্যতম ব্যাখ্যা হৈছে।

(২) প্ৰকৃতিং পুৰুষং চৈব ক্ষেত্ৰং ক্ষেত্ৰজ্ঞমেব চ।
এতদ্বেদিতুমিচ্ছামি জ্ঞানং জ্ঞেয়ং চ কেশৱ॥
—গীতা, ত্ৰয়োদশ আধ্যা, ১ম শ্লোক।

(৩) য'ত আত্মাই থিত লৈ জন্ম-মৰণৰ আবৃত্তি ধৰে, সুখ-দুখ ভোগ কৰে, য'ৰপৰা আত্মাই মুক্তিলাভ কৰে, সেয়ে ক্ষেত্ৰ, অৰ্থাৎ শৰীৰ। যি শৰীৰত থাকি শুভাশুভ কৰ্ম্মানুষ্ঠানৰ ফলস্বৰূপ সুখ-দুখ আদি ভোগ কৰে তেওঁৱেই ক্ষেত্ৰজ্ঞ, অৰ্থাৎ সচ্চিদানন্দ-স্বৰূপ আত্মা।

(৪) ইদং শৰীৰং কৌন্তেয় ক্ষেত্ৰমিত্যভিধীয়তে।
এতদ্ যো বেত্তি তং প্ৰাহুঃ ক্ষেত্ৰজ্ঞ ইতি তদ্বিদঃ॥
গীতা, ত্ৰয়োদশ আধ্যা, ২য় শ্লোক।

(৫) ক্ষেত্ৰ মায়াৰচিত, কিন্তু ক্ষেত্ৰজ্ঞ মায়াৰ অতীত।
—গীতা, ত্ৰয়োদশ আধ্যা, ৩য় শ্লোক।

(৬) পঞ্চমহাভূত: —ক্ষিতি, অপ্, তেজঃ, মৰুৎ, ব্যোম।

(৭) অব্যক্ত:—সাংখ্যমতে প্ৰকৃতি, বেদান্তমতে মায়া।

(৮) পঞ্চেন্দ্ৰিয়: —শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ।

(৯) গীতা, ত্ৰয়োদশ আধ্যা, ৪—৭ শ্লোক।

ভক্তি, নিৰ্জনবাসবাসনা[১], আত্মজ্ঞাননিষ্ঠা, তত্ত্বজ্ঞানচিন্তা ইত্যাদিয়েই জ্ঞান। ইয়াৰ অন্যথাই অজ্ঞানতা।[২]"

"হে অৰ্জ্জুন! যি জানিবৰ বিষয়, যাক জানিলে মোক্ষলাভ কৰা যায়, যি অনাদি পৰব্ৰহ্ম সতো নহয়[৩] অসতো নহয়, এতিয়া সেই বিষয়ে ভাঙ্গি কওঁ। যি জীৱগণৰ হাত, পাৱ, চকু, মুখ ইত্যাদিৰ প্ৰবৃত্তিস্বৰূপ, যাৰ অস্তিত্বত সমস্ত জগত অৱস্থিত, সেই চৈতন্যস্বৰূপ বিভুৱেই জ্ঞাতব্য পৰব্ৰহ্ম। তেওঁ নিষ্ক্ৰিয় হৈয়ো সমস্ত ক্ৰিয়াৰ মূল; তেওঁ চকু নোহোৱাকৈও দেখে, কাণ নোহোৱাকৈও শুনে; কাৰো লগত তেওঁৰ সম্বন্ধ নাই, অথচ ত্ৰিজগত তেওঁতে বিদ্যমান; তেওঁ নিৰ্গুণ হৈও গুণসমূহ উপলব্ধি কৰে, তেওঁ সকলোৰে সাক্ষী, অদ্বিতীয়, নিগুণ, চৈতন্যস্বৰূপ। তেওঁ দৃশ্যমান জগতৰ অন্তৰ আৰু বাহিৰ, তেওঁ ধাৰণাতীত সূক্ষ্ম; তেওঁ অবিশ্বাসীৰ মানত দূৰৈতকৈও দূৰৈত, কিন্তু ভক্তিমানৰ চকুত ওচৰতকৈও ওচৰত।[৪] পৰমাত্মা অবিভাজ্য বা অভেদাত্মা, কিন্তু ভিন্ ভিন্ প্ৰাণীত, ভিন ভিন্ পদাৰ্থত তেওঁক ভিন ভিন্ যেন বুজা যায়, যদ্যপি এক ব্ৰহ্মই সদৌ পদাৰ্থতে ক্ষেত্ৰজ্ঞৰূপে বিৰাজ কৰিছে, আৰু যদিচ ভূতসমূহ বা সমস্ত জগত তেওঁতে স্থিতি, তেওঁতে লয় আৰু তেওঁৰপৰাই উৎপন্ন হয়। জ্বলন্ত পদাৰ্থৰ জ্যোতি তেওঁৱেই, অথচ তেওঁ অন্ধকাৰৰো অতীত; তেওঁৱেই জ্ঞান, তেওঁৱেই জ্ঞেয়; তেওঁৱেই জ্ঞানগম্য, তেওঁৱেই সমস্ত জীৱতে আত্মাৰূপে অৱস্থিতি কৰিছে। জীৱাত্মা আৰু পৰমাত্মা অভেদাত্মা। যি আত্মজ্ঞানশালী লোকে ইয়াৰ গূঢ় তত্ত্ব উপলব্ধি কৰিব পাৰে, তেওঁ জগতময় পৰমাত্মাক বিৰাজমান দেখে। হে অৰ্জ্জুন! ক্ষেত্ৰ-ক্ষেত্ৰজ্ঞ, জ্ঞান-জ্ঞেয়, এই সমূহ বিষয়ৰ যি সংক্ষেপ ব্যাখ্যা দিয়া হল, তাৰ তত্ত্বজ্ঞান লাভ কৰিলেই মোৰ ভক্তগণে মদ্ভাৱ (ব্ৰহ্মভাব) লাভ কৰিব পাৰে।"[৫]

"হে অৰ্জ্জুন! এতিয়া প্ৰকৃতি পুৰুষৰ তত্ত্ব ব্যাখ্যা কৰোঁ, শুনা।—এই প্ৰকৃতি আৰু পুৰুষ দুয়ো অনাদি। বিকাৰসমূহ[৬] আৰু গুণসমূহ[৭] প্ৰকৃতিৰপৰাই উৎপন্ন।[৮] প্ৰকৃতি ক্ৰিয়া আৰু কাৰণৰ হেতু, অৰ্থাৎ ক্ৰিয়াশক্তিৰ মূল; পুৰুষ সুখ-দুখাদি ভোগৰ হেতু বা কাৰণ। এই ক্ষেত্ৰজ্ঞ পুৰুষে মায়াৰূপ প্ৰকৃতিত অৱস্থিতি কৰি প্ৰকৃতিৰপৰা উৎপন্ন হোৱা সুখ দুখাদি ভোগ কৰে। ত্ৰিগুণাত্মিকা প্ৰকৃতিৰ লগত এই সম্বন্ধ থকাৰ বাবেই সেহ ত্ৰিগুণ অনুযায়ী[৯] সৎ আৰু অসৎ যোনিসমূহত পুৰুষৰ জন্ম হয়। কিন্তু, এই দেহত বিদ্যমান থাকিও পুৰুষ (আত্মা) নিৰ্লিপ্ত, নিত্য আৰু স্বতন্ত্ৰ, অথচ তেওঁৱেই ভৰ্ত্তা, ভোক্তা, মহেশ্বৰ আৰু পৰমাত্মা।[১০]

"হে অৰ্জ্জুন! কোনোৱে জ্ঞানৰ বলত, কোনোৱে সাংখ্য যোগৰ বলত, কোনোৱে কৰ্ম্মযোগৰ বলত আত্ম-দৰ্শন লাভ কৰে, ইত্যাদি পন্থাৰ দ্বাৰাই লাভ কৰা আত্ম-তত্ত্বজ্ঞানৰ আগত যি পুৰুষে, দেহাদি বিকাৰ মায়াময় জানি, প্ৰকৃতিক উপলব্ধি কৰে, সেই পুৰুষ সৰ্ব্বথা বিদ্যমান থাকিলেও তেওঁ পুনৰ্জন্ম ধাৰণ কৰিব লগাত নপৰে। কোনোৱে হয় তো ধ্যান, বিচাৰ আৰু কৰ্ম্মৰ বলত এই তত্ত্ব উপলব্ধি কৰিবলৈ অসমৰ্থ হৈ ইষ্টগুৰুৰ উপদেশ অনুসৰি উপাসনা কৰে, সিবিলাকেও মৃত্যুময় সংসাৰ অতিক্ৰম কৰে।"[১১]

---

(১) বিষয়ী বা সংসাৰী লোকৰ লগত সমাগম বা ঘনিষ্ঠতা নৰখা।

(২) গীতা, ত্ৰয়োদশ আধ্যা, ৮—১২ শ্লোক।

(৩) সৎ আৰু অসতৰ সংখ্যা বিষয়ক ব্যাখ্যা ইয়াৰ আগেয়ে দি অহা হৈছে।

(৪) বহিৰন্তশ্চ ভূতানামচৰং চৰমেব চ।
সূক্ষ্মত্বাত্তদবিজ্ঞেয়ং দূৰস্থং চান্তিকে চ তৎ॥
—গীতা, ত্ৰয়োদশ আধ্যা, ১৬ শ্লোক।

(৫) গীতা, ত্ৰয়োদশ আধ্যা, ১৭—১৯ শ্লোক।

(৬) পঞ্চভূত, দশ-ইন্দ্ৰিয়, আৰু মন এই ষোলটা বিকাৰ।

(৭) সত্ত্ব, ৰজঃ, তমঃ, এই তিনটা গুণ।

(৮) প্ৰকৃতিং পুৰুষং চৈব বিদ্ধ্যনাদী উভাবপি।
বিকাৰাংশ্চ গুণাংশ্চৈব বিদ্ধি প্ৰকৃতিসম্ভবান্॥
—গীতা, ত্ৰয়োদশ আধ্যা, ২০ শ্লোক।

(৯) সত্ত্ব গুণধাৰী পুৰুষে দেৱযোনিত, ৰজোগুণাধিকাৰীয়ে মানৱ যোনিত আৰু তমোগুণাধিকাৰীয়ে পাশৱ যোনিত জন্মগ্ৰহণ কৰে।

(১০) গীতা, ত্ৰয়োদশ আধ্যা, ২০—২৩ শ্লোক।

(১১) গীতা, ত্ৰয়োদশ আধ্যা, ২৪—২৬ শ্লোক।

"হে ভৰত বংশধৰ পাণ্ডৱ! ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ সংযোগত[১] যে স্থাৱৰ-জঙ্গম সমস্ত পদাৰ্থ উৎপন্ন হয়, এই কথা ধ্ৰুৱ্ৰূপ্ বুলি জানিবা।"[২]

"হে পাৰ্থ! আত্মাৰ উন্নতি, বৃদ্ধি আৰু বিনাশ নাই, গতিকে তেওঁ অবিনাশী; আৰু আন সমস্তই বিনাশ ধৰ্ম্ম-শীল। যাৰ এনে ভাব, তেওঁৱেই অভ্ৰান্ত। যি আত্মজ্ঞানী জনে আত্মাক সৰ্ব্বত্ৰে সমান, নিৰ্ব্বিকাৰ আৰু সকলো প্ৰাণীৰ প্ৰবৃত্তিৰ হেতু স্বৰূপ জানি, অভেদ জ্ঞানৰ বলেৰে 'মই ব্ৰহ্ম' এই সিদ্ধান্তত চলে, তেওঁ মায়াযুক্ত হৈ আত্মজ্ঞানহীনৰ দৰে আত্মাৰে সৈতে আত্মাক নষ্টপিয়ায়; সেই কাৰণে তেওঁ পৰমগতি লাভ কৰে। ক্ষেত্ৰজ্ঞ আত্মা সাক্ষীস্বৰূপ—অকৰ্ত্তা; সমস্ত কাৰ্য্য প্ৰকৃতিয়েই কৰে, বা মায়াৰ বলতেই হয়। যাৰ এনে দৃষ্টি, তেওঁৱেই সম্যকদৰ্শী। সাধকে যেতিয়া ভূতসমূহক ভিন্-ভিন্ ভাৱে একে আত্মতে অৱস্থিত দেখে, আৰু সেই ভূত সমূহক একে আত্মাৰপৰাই বিস্তাৰ হোৱা দৰ্শন কৰে, তেতিয়া তেওঁ প্ৰকৃততে ব্ৰহ্মস্বৰূপ হয়।[৩] অৰ্থাৎ, ক্ষেত্ৰজ্ঞৰ দৰেই ক্ষেত্ৰৰো পৃথকত্ব নাই, সকলো অভেদাত্মা।"[৪]

"হে কুন্তীনন্দন! অনাদি আৰু নিৰ্গুণ কাৰণেই এই অবিকাৰী পৰমাত্মাই শৰীৰত থিত্ লৈয়ো একোকে নকৰে, আৰু দেহতে নিবাস যদিও, পদ্মপততে পানীৰ দৰে, কৰ্ম্মফলত নিৰ্লিপ্ত হৈ থাকে। আৰু, আকাশ যেনেকৈ সৰ্ব্বব্যাপী হৈয়ো কাৰো লগত লিপ্ত নহয়, তেনেকৈয়ে আত্মা দেহত থাকিও তাত নিৰ্লিপ্ত, অৰ্থাৎ দেহধৰ্ম্মৰ বাজ। হে ভাৰত! এক সূৰ্য্যই যি ৰূপে সমস্ত জগতকে প্ৰকাশ কৰে, সেইৰূপে এক ক্ষেত্ৰজ্ঞ স্বৰূপ আত্মাই সমস্ত ক্ষেত্ৰক প্ৰকাশ কৰে। হে অৰ্জ্জুন! যি এইৰূপে ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ ভেদাভেদ বা অভেদ ভাৱ[৫] উপলব্ধি কৰিব পাৰে আৰু প্ৰকৃতিৰপৰা ভূতসমূহৰ মোক্ষৰ উপায় জ্ঞান-চক্ষুৰে সৈতে দেখা পায়, তেওঁ পৰমপদ প্ৰাপ্ত হয়।"[৬]

চতুৰ্ব্বিংশ আধ্যা

গুণসংযোগ তত্ত্বজ্ঞান

অভেদাত্মা আৰু কল্পিত ভেদাভেদৰ তত্ত্বজ্ঞান দানৰ পাচত, ভগৱান্ শ্ৰীকৃষ্ণই প্ৰকৃতি-পুৰুষৰ সংযোগ তত্ত্বজ্ঞান দান কৰাৰ মানসেৰে যোগাবীৰ অৰ্জ্জুনক পুনৰপি এই বুলি সম্বোধন কৰিলে, "হে মহাবাহো! যি জ্ঞান সাধনৰ দ্বাৰাই ঋষি মুনিসকলে দেহবন্ধনৰপৰা মুক্ত হৈ মোক্ষ বা পৰমসিদ্ধি লাভ কৰে, সেই সৰ্ব্বোত্তম পৰমজ্ঞান সাধনৰ বিষয়ে কওঁ, শুনা। —যি এই জ্ঞান[৭] সাধন কৰে, তেওঁ পৰব্ৰহ্মৰ নিৰ্গুণ স্বৰূপত্ব লাভ কৰে, আৰু তেওঁ সৃষ্টিকালত জন্ম, আৰু প্ৰলয় কালত লয় পাব লগীয়া নহয়।"[৮]

"হে ভাৰত! মহৎব্ৰহ্ম (প্ৰকৃতি) মোৰ (পৰব্ৰহ্ম

---

(১) ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ, অথবা পুৰুষ আৰু প্ৰকৃতিৰ মায়াজনিত পৰস্পৰ মিথুনীকৰণকে সংযোগ বোলা যায়।
-শ্ৰীধৰ স্বামীকৃত টীকা-ব্যাখ্যা।

(২) গীতা, ত্ৰয়োদশ আধ্যা, ২৭ শ্লোক।

(৩) কিয়নো, ব্ৰহ্মত বাজে সৃষ্টিত আন আৰু একো পদাৰ্থই নাই; দৃশ্যমান জগত কেৱল মায়াপ্ৰভাৱত ভিন্-ভিন্ যেন দেখা যায়। -কৃষ্ণানন্দ স্বামীৰ গীতাসন্দীপনী।

(৪) গীতা, ত্ৰয়োদশ আধ্যা, ২৮—৩১ শ্লোক।

(৫) ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ কল্পিত ভেদ থাকিলেও, পৰমাৰ্থত ক্ষেত্ৰ ক্ষেত্ৰজ্ঞৰপৰা পৃথক্ নহয়; যেনেকৈ ক্ষেত্ৰজ্ঞ আত্মা পৰমাত্মাৰে সৈতে অভেদ, তেনেকৈ ক্ষেত্ৰৰো পৰব্ৰহ্মসত্তা বা পৰমাত্মাৰ লগত প্ৰভেদ নাই। মূঠৰ ওপৰত, জ্ঞান আৰু জ্ঞেয়, ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞ, প্ৰকৃতি আৰু পুৰুষ সকলোৱেই অভেদাত্মা।
—শ্ৰীধৰ স্বামীকৃত টীকা-ব্যাখ্যা।

(৬) গীতা, ত্ৰয়োদশ আধ্যা, ৩২—৩৫ শ্লোক।

(৭) অকল ত্ৰিগুণাত্মিকা (সত্ত্ব, ৰজঃ, তমঃ এই তিনি গুণবিশিষ্ট) প্ৰকৃতিকে সৃষ্টিৰ মূলকাৰণ বুলি সাব্যস্ত কৰোঁতাৰ নিৰীশ্বৰ সাংখ্যমত খণ্ডনৰ অৰ্থে প্ৰকৃতি আৰু পুৰুষ বা ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ ঈশ্বৰাধীন সংযোগ কাৰ্য্যই হে যে সৃষ্টিৰ আচল কাৰণ, সেই বিষয়ক তত্ত্বজ্ঞান।
—কৃষ্ণানন্দ স্বামীৰ গীতাৰ্থসন্দীপনী

(৮) গীতা, চতুৰ্দ্দশ আধ্যা, ১—২ শ্লোক।

পুৰুষৰ) যোনি[১], অৰ্থাৎ গৰ্ভাধানৰ[২] স্থান ; তাতে মই পুৰুষে জগতৰ বীজ প্ৰক্ষেপ কৰোঁ ; তাৰেপৰা সমস্ত ভৌতিক জগতৰ উৎপত্তি হয়। হে কুন্তীনন্দন ! দেৱ, পিতৃ, মনুষ্য, পশু আৰু বৃক্ষাদি যি কোনো যোনিতেই জীৱ উৎপন্ন নহওক, প্ৰকৃতি আৰু পুৰুষ, বা ঈশ্বৰ আৰু মায়াৰ সংযোগেই সেই সমুদায়ৰ মূলকাৰণ ; পুৰুষৰ অবিহনে প্ৰকৃতিয়ে আৰু প্ৰকৃতিৰ অবিহনে পুৰুষে স্বতন্ত্ৰবীয়াকৈ একোকে উৎপন্ন কৰিব নোৱাৰে। হে মহাবাহো ! প্ৰকৃতি-জাত সত্ব, ৰজঃ, তমঃ এই তিনি গুণে অবিনাশী জীৱাত্মাক দেহৰ মধ্যত আবদ্ধ কৰি ৰাখে। হে নিষ্পাপ অৰ্জ্জুন ! অন্তঃকৰণৰ সত্বগুণে জ্ঞানেন্দ্ৰিয়ৰ সাহায্যত ৰূপ, ৰস, গন্ধ, স্পৰ্শ বিষয়ক বিশেষ বিশেষ পৃথক্ জ্ঞান জন্মায়, আৰু সেই জ্ঞানতৃষ্ণা নিবৃত্তিৰ নিমিত্তেই দেহাৰ মাজত জীৱাত্মাক প্ৰবৃত্ত কৰে। হে কুন্তীনন্দন ! ৰজোগুণ তৃষ্ণা[৩] আৰু আসঙ্গ[৪] উৎপাদক ; সেই ৰজোগুণে জীৱক অনুৰাগৰ বশবৰ্ত্তী কৰি নানা কাৰ্য্যত প্ৰবৃত্ত কৰে ; সেই সূত্ৰতে জীৱ বন্ধনগ্ৰস্ত হয়। হে ভাৰত ! তমোগুণ আৱৰণ শক্তি-স্বৰূপ অজ্ঞানজাত, ই সতত অসৎ ভ্ৰম জন্মায় ; অবস্তুত বস্তুবুদ্ধি, যত্ন-চেষ্টাদিৰ সময়ত নিদ্ৰা-তন্দ্ৰাদি ঘটাই জীৱাত্মাক অজ্ঞান-আন্ধাৰত আৱদ্ধ কৰি ৰাখে। সত্ব গুণে জীৱাত্মাক সুখত প্ৰৱৰ্ত্তায়, ৰজোগুণে কৰ্ম্মত মগ্ন কৰে, তমোগুণে আত্মজ্ঞানক ঢাকি ধৰি প্ৰমাদ[৫] ঘটায়। একেজন মানুহকে কেতিয়াবা সাধু, কেতিয়াবা অসাধু, কেতিয়াবা লোকাচাৰত আসক্ত দেখা যায় ; কাৰণ, সাত্বিক, তামসিক আৰু ৰাজসিক প্ৰবলতাৰ[৬] প্ৰকৃতি অনুসাৰে জীৱাত্মাৰ ক্ৰমে সাধুতা, অসাধুতা আৰু লৌকিকতাৰ লক্ষণ ঘটে। হে অৰ্জ্জুন ! যেতিয়া দেহৰ সকলো অঙ্গত ইন্দ্ৰিয়েদি জ্ঞানৰ লক্ষণ প্ৰকাশ পায়, তেতিয়া সত্বগুণৰ প্ৰবলতা ; যেতিয়া লোভ, প্ৰবৃত্তি, উদ্যম, অশান্তি, স্পৃহা ইত্যাদি লক্ষণে দেখা দিয়ে, তেতিয়া ৰজোগুণৰ প্ৰাবল্য ; আৰু যেতিয়া আৱৰণ, আলস্য, প্ৰমাদ, মোহ ইত্যাদি লক্ষণ দেখা যায়, তেতিয়া তমোগুণ বৃদ্ধি হৈছে বুলি বুজিবা।"[৭]

"হে অৰ্জ্জুন ! তত্বদৰ্শী মহৰ্ষিগণৰ মতে সত্বগুণৰ প্ৰভাৱত জীৱই কেৱল নিৰ্ম্মল সুখকেই ভোগ কৰে ; ৰজোগুণৰ প্ৰভাৱত অলপ সুখ আৰু অধিক দুখ ; তমোগুণৰ প্ৰভাৱত জীৱই কেৱল দুখকেই হে ভোগ কৰে। ইয়াৰ কাৰণ ইতিপূৰ্ব্বতে কৈ অহা হৈছে ; সত্বগুণী লোকৰ উৰ্দ্ধলোকলৈ (স্বৰ্গ), ৰজোগুণী লোকৰ মৰ্ত্ত্যত (মনুষ্যলোক), তমোগুণৰ লোকৰ অধঃপাতলৈ (নৰক) গতি হয়। সত্ব, ৰজ তম এই তিনি গুণেই অন্তঃকৰণ, বহিঃকৰণ, শৰীৰ আৰু বিষয় আদিত পৰিণত হৈ কৰ্ত্তব্য কৰ্ম্ম কৰে ; আৰু গুণ-কাৰ্য্যৰপৰা কাৰ্য্য স্বতন্ত্ৰ বুলি যি বুজিব পাৰে ; তেওঁ ব্ৰহ্মাত্মজ্ঞান লাভ কৰি ব্ৰহ্মস্বৰূপ হয়। হে অৰ্জ্জুন ! এই তিনি গুণেই জনম আৰু মৰণৰ হেতু ! যি এই তিনি গুণ এৰাব পাৰে, তেওঁ জন্ম-মৃত্যুৰ বাজ হৈ উঠে, গতিকে তেওঁ পৰমানন্দ স্বৰূপ অমৃত লাভ কৰে।"[৮]

অৰ্জ্জুনে ভক্তি আৰু আগ্ৰহেৰে সৈতে সুধিলে, "হে প্ৰভো ! যি ভাগ্যৱন্তে এই গুণ তিনি অতিক্ৰম কৰে, তেওঁৰ কি চিন্ ? বা লক্ষণ কি ? তেওঁৰ আচৰণ কেনে ? আৰু, কি উপায়েৰে এই ত্ৰিগুণৰ ওপৰ উঠিব পাৰি ?[৯]

---

(১) মহৎব্ৰহ্ম বা অবিদ্যা—অজ্ঞান—প্ৰকৃতি—ত্ৰিগুণাত্মিকা অব্যাকৃত মায়াই যোনিস্বৰূপ।

(২) মহৎব্ৰহ্ম স্বৰূপ যোনিত পৰব্ৰহ্ম পৰমপুৰুষৰ সৃষ্টি সংকল্পেই গৰ্ভাধান স্বৰূপ।

(৩) অপ্ৰাপ্ত বস্তু পাবলৈ হোৱা হাবিয়াসক তৃষ্ণা বোলা যায়।

(৪) প্ৰাপ্ত বস্তু বিনষ্ট হলেও তাক পাবলৈ আৰু ৰক্ষা কৰিবলৈ হোৱা ধাউতিক আসঙ্গ বোলা যায়।

(৫) কৰ্ত্তব্যজ্ঞান বিদ্যমান থকাৰ স্থলতো আচল সময়ত তাক পাহৰাকে প্ৰমাদ বোলা যায়।

(৬) যি গুণ যেতিয়া ওপৰ উঠে, সেই গুণৰ তেতিয়া প্ৰবলতা জন্মে ; তেতিয়া ই দুটা গুণ তল পৰি নিস্তেজ হয়।

(৭) গীতা, চতুৰ্দ্দশ আধ্যা, ৩—১৩ শ্লোক। এই পুথিৰ ২৩শ আধ্যাত দিয়া গীতাৰ ত্ৰয়োদশ আধ্যাৰ ২০—২৩ শ্লোকৰ টীকা চোৱাঁ।

(৮) গীতা, ১৪শ আধ্যা, ১৪—২০ শ্লোক।

(৯) গীতা, ১৪শ আধ্যা, ২১ শ্লোক।

ভগৱান শ্ৰীকৃষ্ণই হৰিষমনেৰে সমিচাৰ দিলে, "হে পাণ্ডৱ। সত্ত্বগুণৰ প্ৰকাশ, ৰজোগুণৰ প্ৰবৃত্তি আৰু তমোগুণৰ মোহ উদয় হলেও যি বিচলিত নহয়, আৰু তাৰ নিৰাকৰণলৈ যি উদাসীনভাৱে আওকণীয়া, তেৱেঁই গুণাতীত পুৰুষ। সুখ আৰু দুখ যাৰ মানত সমান, যাৰ সদায় স্বৰূপাৱস্থাত স্থিতি, মাটি শিল, সোণ যাৰ চকুত সমান মূল্যৰ, প্ৰিয় আৰু অপ্ৰিয় দুইৰো প্ৰতি যাৰ একে আচৰণ, নিন্দা আৰু স্তুতি দুইৰো প্ৰতি যাৰ সমান ভাব, সেই ধীৰ পুৰুষেই গুণাতীত। যি সংসাৰৰ মায়ামোহ-আসক্তিবিহীন, যি সৰ্ব্বপ্ৰকাৰ উদ্যমত্যাগী সেই সুধীৰ পুৰুষেই ত্ৰিগুণাতীত।"[১]

"হে পাৰ্থ! স্বৰূপতে যি অন্তৰ্যামী ভগৱানক সৰল ভক্তিৰে সৈতে ভজনা কৰে, তেৱেঁই ত্ৰিগুণা প্ৰকৃতি বা মায়া অতিক্ৰম কৰি ব্ৰহ্মপদ লাভ কৰে। কিয়নো, সেই মই (ভগৱান্ বা পৰব্ৰহ্ম বা পৰমাত্মা বা পৰমেশ্বৰ)[২] অবিনাশী, অভগন, নিৰ্ম্মল, নিৰ্ব্বিকাৰ আৰু সাক্ষাৎ ধৰ্ম্মস্বৰূপ।[৩]

পঞ্চবিংশ আধ্যা

সংসাৰ-বৃক্ষ তত্ত্বজ্ঞান

সত্ত্ব, ৰজঃ, তমঃ প্ৰকৃতি বা অবিদ্যা বা মায়াৰ এই তিনিগুণ। সেই গুণৰ ক্ৰিয়া, আৰু সেই তিনি গুণবিশিষ্ট প্ৰকৃতি বা মায়া অতিক্ৰম কৰি জীৱাত্মাই কিৰূপে মুক্তিলাভ কৰিব পাৰে তাৰ তত্ত্ব ব্যাখ্যা কৰি উঠি, সেই প্ৰকৃতি বা মায়াৰ সংসাৰ-তত্ত্বজ্ঞানৰ অধিকাৰী হবলৈ নিষ্পাপ মহাবাহু অৰ্জ্জুনক উপযুক্ত বিবেচনা কৰি, তত্ত্বদৰ্শী ভগৱান শ্ৰীকৃষ্ণই সেই গুহ্যতম তত্ত্বব্যাখ্যা দিবলৈ এই বুলি আৰম্ভ কৰিলে, "হে অৰ্জ্জুন! মায়াজনিত এই সংসাৰৰূপ অশ্বত্থ[৪] বৃক্ষৰ মূল-শিপা ওপৰলৈ, অৰ্থাৎ আকাশ-মুখীয়া, ইয়াৰ ঠাল-ঠেঙুলি তললৈ, অৰ্থাৎ মৰ্ত্তামুখীয়া; কৰ্ম্মকাণ্ডৰূপ বেদ ইয়াৰ পাত-কোঁহ ইত্যাদি, আৰু ই অব্যয়। যি এই সংসাৰ-ৰূপ বৃক্ষৰ তত্ত্ব ঢুকি পাইছে তেৱেঁই বেদবেত্তা। প্ৰকৃতিৰ আৱৰণ তিনি গুণৰ সাৰশক্তিৰেই এই সংসাৰ-বৃক্ষ পৰি-বৰ্দ্ধিত, ইয়াৰ ঠাল-ঠেঙুলি, পাত-কোঁহ আদি উৰ্দ্ধ আৰু অধো দুয়োদিশে বিস্তৃত, অৰ্থাৎ কুকৰ্ম্মী জীৱাত্মাৰ শাখা অধোমুখে, ধৰ্ম্মাত্মাৰ শাখা উৰ্দ্ধমুখে পাহ মেলি বাঢ়ে। সংসাৰ বিষয়জাল ইয়াৰ পাত, আৰু বাসনা ইয়াৰ মূল।"[৫]

"হে অৰ্জ্জুন! এই সংসাৰবাসী প্ৰাণীগণে এই সংসাৰৰূপ বৃক্ষৰৰূপ কেনে, ইয়াৰ আদি ক'ত, অন্ত ক'ত, মাজ ক'ত তাৰ একো তত্ত্ব নাপায়, অথাই-সাগৰৰ গৰ্ভত থকা মাছে যেনেকৈ সাগৰৰ সীমা দেখিবলৈ নাপায়, তেনেকৈয়ে ত্ৰিগুণময়ী মায়াত বিমোহিত জীৱই যেনিয়ে চায় তেনিয়ে সংসাৰত বাজে আন একো দেখা নাপায়। মাথোন, অতি চোকা বৈৰাগ্যৰূপ অস্ত্ৰেৰে সেই সংসাৰৰূপ অশ্বত্থ গছৰ গুৰি পেলাই তাক উছন্ নিয়াই পৰব্ৰহ্মক জানিব পৰা যায়। এতেকে যি পৰমপদ লাভ কৰিলে জীৱৰ পুনৰ্জ্জন্ম নহয়, যাৰ দ্বাৰাই সংসাৰ-প্ৰবৃত্তিৰ বিস্তাৰ হৈছে, সেই আদি-

---

(১) গীতা, ১৪শ আধ্যা, ২২—২৫ শ্লোক।

(২) ভগৱান বাসুদেৱ বেদৰ প্ৰতিষ্ঠাস্বৰূপ। সেই বাসুদেৱৰূপে অৱতীৰ্ণ শ্ৰীকৃষ্ণ সগুণ ব্ৰহ্মৰ আশ্ৰয় বুলি বেদত ব্ৰহ্মায়ো এইবুলি স্তুতি কৰিছিল,—

একস্ত্বমাত্মা পুৰুষঃ পুৰাণঃ সত্যঃ
স্বয়ংজ্যোতিৰিনন্ত আদ্যঃ।
নিত্যোঽক্ষৰোঽজস্ৰসুখো নিৰঞ্জনঃ পূৰ্ণোঽদ্বয়ো মুক্ত
উপাধিতোঽমৃতঃ॥

অৰ্থাৎ, হে ভগৱান! তুমি সকলো প্ৰাণীৰ আত্মাস্বৰূপ, সকলোৰে শৰীৰত বিদ্যমান, সৰ্ব্বত্ৰে একৰূপ; তুমি নিত্য, তুমি সত্য, তুমি স্বপ্ৰকাশ, তুমি আদ্য, তুমি অন্তা, তুমি অক্ষৰ, তুমি সৰ্ব্বব্যাপী, তুমি সম্পূৰ্ণ, তুমি অদ্বয়, তুমি উপাধিবিহীন, তুমি অমৃতস্বৰূপ, তুমিয়ে পৰব্ৰহ্মস্বৰূপ ভগৱান বাসুদেৱ। —কৃষ্ণানন্দ স্বামীৰ গীতাৰ্থ সন্দীপনী।

(৩) গীতা, ১৪শ আধ্যা, ২৬—২৭ শ্লোক।

(৪) যি নশ্বৰ, যাৰ স্থিতি বিশ্বাস কৰা নাযায় সেয়ে অশ্বত্থ। গতিকে, এই অনিত্য সংসাৰক অস্থায়ী অশ্বত্থ বৃক্ষৰ লগত ৰিজনি দিয়া হৈছে।

(৫) গীতা ১৫শ আধ্যা, ১—২ শ্লোক।

পুৰুষৰেই মই শৰণাগত হওঁ, এই বুলি সেই পদ চিন্তা কৰিব লাগে। যাৰ অভিমান ৰহিত হৈছে, যি বিবেকী, প্ৰিয় বা অপ্ৰিয় বস্তুৰ সমাগমত যাৰ আসক্তি বা বিৰক্তি নাই, যি মায়াতীত পৰব্ৰহ্মতত্বপৰায়ণ, যাঁৰ বিষয়-ভোগত অভিলাষ নাই, সুখ-দুখৰ হেতু ৰাগ-বিৰাগ যি মাৰ নিয়াব পাৰিছে, তেওঁৰেই সম্যক আত্মজ্ঞানৰ বলেৰে ব্ৰহ্মপদ লাভ কৰে। যি পদ প্ৰাপ্ত হলে তত্ত্বান পুৰুষগণৰ পুনৰাবৃত্তি নহয়, যি পদ চন্দ্ৰ, সূৰ্য্য আৰু অগ্নিয়েও প্ৰকাশ কৰিব নোৱাৰে, অথচ যি পদ স্বপ্ৰকাশ, সেই পদেই মোৰ (পৰব্ৰহ্মৰ) পৰমোৎকৃষ্ট পদ।[১] এই সংসাৰত সনাতন জীৱ মোৰেই (পৰমাত্মাৰ) অংশ মাথোন, এই জীৱই মনে সৈতে ছয় ইন্দ্ৰিয়ক আকৰ্ষণ কৰে। বায়ু যোনেদি যেনেকৈ পুষ্পাদিৰ গন্ধলৈ গতি কৰে, জীৱাত্মাযো তেনেকৈ দেহা এৰি যাওঁতে মন আৰু ইন্দ্ৰিযগণক আকৰ্ষণ কৰি নিয়ে, আৰু অন্য দেহত আশ্ৰয় লবলৈ তাত প্ৰবেশ কৰোঁতে সেই মন আৰু ইন্দ্ৰিয়াদিকো প্ৰৱেশ কৰায়।[২] দেহত্যাগৰ ক্ষণত বা দেহত স্থিতিৰ কালত, নাইবা শোক মোহ সুখ দুখ আদি বিষয় ভোগত প্ৰবৃত্ত অবস্থাত, অথবা সত্ত্ব-ৰজঃ-তমঃ ত্ৰিগুণযুত দশাত জীৱাত্মাক বিষয় ভোগ বাসনাত উন্মুক্ত মূঢ়গণে দেখা নাপায়, মাথোন বিবেকী যোগীগণে চিত্ত-শুদ্ধিৰ বলেৰে ধ্যানত নিজ নিজ দেহস্থিত আত্মাক দেখা পায়।[৩]

“হে অৰ্জ্জুন! চন্দ্ৰ, সূৰ্য্য অগ্নিৰ যি তেজে জগতক প্ৰকাশ কৰিছে, সেই তেজ স্বৰূপত মযেই (পৰমাত্মা) বুলি জানিবা।[৪] মযেই (পৰব্ৰহ্মই) পৃথিৱীত অন্যান্য গ্ৰহৰ সৰ্ব্বতিকাল সমান্তৰ ৰাখি সমস্ত ভূতক ধাৰণ কৰি আছোঁ। আৰু, চন্দ্ৰৰূপ সোমৰস[৫] হৈ ঔষধিত ৰোগনিবাৰিণী শক্তি প্ৰয়োগ কৰিছোঁ। যি প্ৰাণ (নিশ্বাস) আৰু অপান (প্ৰশ্বাস) বায়ুৰ দ্বাৰাই জীৱগণৰ চাৰি প্ৰকাৰ অন্ন[৬] (আহাৰ) জীৰ্ণ কৰে, সেই জঠৰাগ্নি মযেই (পৰমাত্মা) বুলি বুজিবা। সকলো মাযাশ্ৰিত চৈতন্যৰ[৭] লগত মিলি পৰমাত্মাই স্মৃতি আৰু জ্ঞানৰূপে উদয়ো হয়, আৰু সেই স্মৃতি জ্ঞানৰ বিলয়ো ঘটায়, বেদ বুজাবৰ গৰাকী তেৱেঁই; বেদ বুজিবৰ গৰাকীও তেৱেঁই। অথাৎ, মায়াতীত ৰূপে তেওঁ ব্ৰহ্ম, মাযাশ্ৰিত ৰূপে তেওঁ ব্ৰহ্মবেত্তা। ইহলোকত ক্ষৰ আৰু অক্ষৰ[৮] এই দুবিধ বস্তুৰেই প্ৰসিদ্ধ, পৰমাত্মাই দেহত জীৱাত্মাৰূপে প্ৰবিষ্ট হৈ জগতক প্ৰকাশ কৰে। কিন্তু, সেই দুবিধ বস্তুৰপৰা পৰমাত্মা পৃথক, তেওঁ একে ক্ষণতে ত্ৰিজগতত বিদ্যমান, তেওঁ অব্যয় আৰু তেওঁ ঈশ্বৰ। পৰমাত্মা কাৰ্য্যৰে অতীত আৰু কাৰণতকৈও উত্তম, সেই হেতুকেই ভগৱানক পুৰুষোত্তম বোলা যায়। যি যোগী পুৰুষে মাযা-মোহ ভেদ কৰি ভগৱানক এই পুৰুষোত্তম ৰূপে জানি ভজনা কৰে, তেৱেঁই প্ৰকৃত তত্ত্বদৰ্শী, তেওঁ সৰ্ব্বজ্ঞ আৰু তেওঁ ভক্তিযোগৰ দ্বাৰাই যথাৰ্থ পৰমপুৰুষক উপাসনা কৰে।[৯]

এই ছেগতে সামৰণীত দিবলগীয়া[১০] গুহ্যতম তত্ত্বজ্ঞান দান কৰি, ভগৱান শ্ৰীকৃষ্ণই এই বুলি অৰ্জ্জুনক পুনৰপি সম্বোধন কৰিলে, “হে অনঘ (নিষ্পাপ)! হে ভাৰত!

---

(১) ন তদ্ভাসয়তে সূৰ্য্যো ন শশাঙ্কো ন পাবক।
যদ্‌গত্বা ন নিবৰ্ত্তন্তে তদ্ধাম পৰমং মম ॥—গীতা, ১৫শ আধ্যা, ৬ শ্লোক।

(২) শৰীৰং যদবাপ্নোতি যচ্চাপ্যুৎক্ৰামতীশ্বৰঃ।
গৃহীত্বৈতানি সংযাতি বাযুৰ্গন্ধানিবাশয়াৎ ॥
—গীতা, ১৫শ আধ্যা, ৮ শ্লোক।

(৩) ১৫শ আধ্যা, ২—১১ শ্লোক।

(৪) যিহেতু দৃশ্যমান জগতৰ সকলো বস্তুৰেই ভগবদ্বি-ভূতি।

(৫) চন্দ্ৰত সঞ্জীৱনী সুধা আছে বুলিয়েই চন্দ্ৰৰ আন এটা নাম ‘সোম’।

(৬) চাৰি প্ৰকাৰ অন্ন চৰ্ব্ব, চোষ্য, লেহ্য, পেয়।

(৭) মাযাশ্ৰিত চৈতন্যই জীৱাত্মা।

(৮) এই দুই পদৰ বহুল ব্যাখ্যা ইতিপূৰ্ব্বৰ টীকাত দিয়া হৈছে। এই স্থলত সি কাৰ্য্য আৰু কাৰণৰূপে গৃহীত হৈছে।

(৯) গীতা, ১৫শ আধ্যা, ১২—১৯ শ্লোক।

(১০) গীতাৰ সামৰণী-আধ্যাত যি বক্তব্য ৰৈছে, এই ১৫শ আধ্যাত তাৰ সাৰ-তত্ত্ব ব্যাখ্যা কৰা হল।

তোমাৰ আগত মই এই যে গুহ্যতম ৰহস্য-শাস্ত্ৰ কীৰ্ত্তন কৰিলোঁ, যি যোগী পুৰুষে তাক হৃদয়ঙ্গম কৰিব পাৰিছে, তেওঁ আত্মজ্ঞানযুত হৈ পৰমপদ লাভ কৰিছে।[১]

ষড়বিংশ আধ্যা

বাসনা তত্ত্বজ্ঞান

ভোগ-বাসনা দুবিধ, -শুভ আৰু অশুভ।[২] অশুভ বাসনা পৰিত্যাগ কৰি শুভ বাসনা অবলম্বন কৰাৰ আৱশ্যকতা ব্যাখ্যা কৰাৰ উদ্দেশ্যে ভগৱানে এই বুলি নতুন ছেদত ধৰিলে, "হে অৰ্জ্জুন! অভয়, তত্বসংশুদ্ধি[৩] জ্ঞান আৰু যোগত স্থিতি, দান, দম আৰু যজ্ঞ, স্বাধ্যায়[৪], তপ আৰু আৰ্জ্জব[৫] এই সমস্তই শুভ বাসনাৰ ফল দৈৱী সম্পদ[৬] অহিংসা, সত্য, অক্ৰোধ, ত্যাগ, শান্তি, পৰনিন্দাবৰ্জ্জন, দয়া, লোভশূন্যতা, মৃদুতা, লজ্জা, চাঞ্চল্যশূন্যতা, এইবোৰো দৈৱী সম্পৎ বা শুভ বাসনাৰ লক্ষণ। হে ভাৰত। সাত্বিকী বাসনাৰে যি সকলে সংসাৰত জন্মগ্ৰহণ কৰে, সেই সকলেই তেজ (সাহ), ক্ষমা, ধৃতি, শৌচ (চিত্তশুদ্ধি), অদ্ৰোহ (অবিৰোধ), অভিমানশূন্যতা, এইবোৰ গুণৰ গৰাকী হয়। হে পাৰ্থ! যি বিলাকে ৰাক্ষসী (ৰজোগুণজাত) আৰু আসুৰী (তমোগুণজাত) অশুভ বাসনা লৈ জন্ম ধৰে, সিবিলাক দম্ভ, দৰ্প, অভিমান, ক্ৰোধ, কৰ্কশতা, অজ্ঞানতা, এইবোৰ আসুৰী সম্পদৰ মাথোন গৰাকী হয়। দৈৱী সম্পৎ মোক্ষৰ হেতু, আৰু আসুৰী সম্পৎ বন্ধনৰ হেতু বুলি কৈ আহিছোঁ। সেই দৈৱী সম্পতৰ মূল সাত্বিকী বাসনা লৈয়ে যে তুমি জন্মগ্ৰহণ কৰিছাঁ তাত সন্দেহ নাই; এতেকে হে পাণ্ডৱ, তুমি হতাশ নহবাঁ। হে পাৰ্থ! এই জগতত দৈব আৰু আসুৰ এই দুবিধ প্ৰকৃতিৰ সৃষ্টি, দৈব প্ৰকৃতিৰ সাত্বিকী শুভ বাসনাযুত জীৱাত্মাৰ বিষয়ে তোমাক বিস্তৰ ব্যাখ্যা দিয়া হৈছে, এতিয়া আসুৰ প্ৰকৃতিৰ ৰাক্ষসী আৰু তামসী অশুভ বাসনাযুত জীৱাত্মাৰ কথা কওঁ, শুনিবাঁ।[৬]

"হে অৰ্জ্জুন! অসুৰ স্বভাবী মানুহে কিহত প্ৰবৃত্ত হব লাগে, কিহৰপৰা নিবৃত্ত হব লাগে, সেই বিষয়ে নাজানে, সিহঁতৰ ধৰ্ম্মাধৰ্ম্ম জ্ঞান নাই।[৭] গতিকে. সিহঁতৰ শৌচ নাই, আচাৰ নাই, আৰু সত্যও নাই, নাইবা অহঙ্কাৰ, অভিমান, দম্ভ, দৰ্প ইত্যাদি কু-প্ৰবৃত্তিৰ উত্তেজনাত সিহঁতে শৌচাচাৰাদি মানিবলৈ অপাৰগ হয়। আসুৰ প্ৰকৃতিৰ মানুহে কয় যে, জগতৰ মূলত সত্যাসত্যৰ অস্তিত্ব নাই, ধৰ্ম্মাধৰ্ম্মৰূপ প্ৰতিষ্ঠা যে জগৎ ব্যৱস্থাৰ হেতু, সেইটো সিহঁতে স্বীকাৰ নকৰে, ঈশ্বৰৰপৰা যে জগতৰ সৃষ্টি হৈছে, তাকো সিহঁতে নামানে। সিহঁতৰ মতে বিষয়ভোগ সুখৰ অভিলাষী স্ত্ৰী-পুৰুষৰ সংযোগেই জগৎ-সৃষ্টিৰ প্ৰাকৃতিক নিয়ম, আৰু কামেই জগতৰ উৎপত্তিৰ হেতু, ইযাত বাজে অন্য কাৰণ নাই। এই আসুৰী প্ৰকৃতিৰ মানুহৰ আত্মা সততে কাম, ক্ৰোধ, লোভ, মোহাদি বাসনাৰ দ্বাৰাই আবৃত[৮], গতিকে

---

(১) গীতা, ১৫শ আধ্যা, ২০ শ্লোক।

(২) সাত্বিকী বাসনা শুভ আৰু মুক্তিমাৰ্গৰ হেতু; ৰাজস আৰু তামস বাসনা অশুভ আৰু সংসাৰবন্ধনৰ হেতুস্বৰূপ।

(৩) মিছা, প্ৰবঞ্চনা, মায়াদি ত্যাগৰ নামেই তত্ত্ব-সংশুদ্ধি। গীতাৰ ২য় আধ্যাত স্থিতপ্ৰজ্ঞ পুৰুষৰ ব্যাখ্যাৰ লগত এই বিষয়ে বহলাই কোৱা হৈছে।

(৪) শাস্ত্ৰাদি অধ্যয়ন।

(৫) কাৰ্য্য, বাক্য আৰু ভাবৰ একতাৰূপ সাত্বিক ব্যৱহাৰেই আৰ্জ্জব। গীতাৰ ১২শ আধ্যাত ভগৱৎভক্তৰ ব্যাখ্যাৰ লগত এই বিষয়ে কোৱা হৈছে।

(৬) সাত্বিকী বাসনাই দৈৱী সম্পদ। গৃহস্থীৰ দৈৱী সম্পদ বিতংকৈ ধৰিলে এইবোৰেই ঘাই; -যেনে, দান (নিজৰ অধিকাৰৰ বস্তুৰ স্বত্বত্যাগ কৰি যোগ্য পাত্ৰত অৰ্পণ), সংযম, কৰ্ম্মানুষ্ঠান (দেৱযজ্ঞ, পিতৃযজ্ঞ, ভূতযজ্ঞ ইত্যাদি), ব্ৰহ্মচৰ্য্য বা কায়িক, বাচিক আৰু মানসিক তপ, অকপটতা। গীতাৰ ১৩শ আধ্যাত জ্ঞানৰ লক্ষণ বৰ্ণনাৰ লগত এই বিষয়ে আভাস দিয়া হৈছে।

(৭) গীতা, ১৬শ আধ্যা, ১-৬ শ্লোক।

(৮) বাসনাই যে সংসাৰ-বৃক্ষৰ অৱাস্তৱ মূল, সেই বিষয়ক বহুল ব্যাখ্যা গীতাৰ ১৫শ আধ্যাত বহলাই কোৱা হৈছে, ১৬শ আধ্যাৰ প্ৰথম এই কেইটা শ্লোকত সেই বাসনাৰ তত্ত্বজ্ঞানৰ আভাস আৰম্ভ কৰা হৈছে। ১৪শ আধ্যাত গুণাতীত পুৰুষৰ লক্ষণ কীৰ্ত্তনৰ লগত এই দৈব ভূতসৰ্গ বিষয়ৰ আভাস দিয়া হৈছে।

সিহঁত অন্ন বুদ্ধিজীৱী[১] আৰু উগ্ৰকৰ্ম্মা[২] সিহঁতে অন্যৰ অহিত সাধনৰ অৰ্থে জন্মগ্ৰহণ কৰে। সিহঁতে হৃদয়ৰ পূৰাব নোৱাৰা বাসনাজনিত দম্ভ, মান, মদত উন্মত্ত হৈ অশুচি আৰু শাস্ত্ৰবিৰুদ্ধ কাৰ্য্যত প্ৰবৃত্ত হয়। অশুভ বাসনাযুত আসুৰ স্বভাৱী মানুহে পাপ, পুণ্য, পৰলোক, স্বৰ্গলাভ, নৰক-গতি, মোক্ষপ্ৰাপ্তি এইবোৰ একোকে নামানে; তাহাঁতৰ বিশ্বাস যে, যিমান দিন দেহ, সিমান দিনলৈ মাথোন জীৱন; আত্মাৰ অস্তিত্ব সিহঁতে নামানে। গতিকে, এই জীয়াই থকা কালত বিষয়জনিত সুখভোগেই সিহঁতৰ পুৰুষাৰ্থ। আশে-পাশে অশেষ আশা ডোলেৰে বান্ধখাই সিহঁতে বিষয়-বাসনা পূৰাবৰ অৰ্থে অন্যায় বৃত্তি ধৰি অৰ্থ সঞ্চয় কৰে। অশুভ বাসনাযুত আসুৰ প্ৰকৃতিৰ মানুহ কেৱল ধনৰ আকাঙ্ক্ষাত মগ্ন। আসুৰী বাসনাৰ মানুহে নিজকে অতি ক্ষমতাশালী সৰ্ব্বেসৰ্ব্বা ঈশ্বৰ যেন ভাবে; অজ্ঞানমোহিত হৈ নিজক ধনে-ধানে কুলে-মানে সৰ্ব্বপ্ৰধান কৰাৰ অতৃপ্ত অশুভ বাসনাত সততে সিহঁত উন্মত্ত হয়।[৩] হে অৰ্জ্জুন! নানাতৰহৰ তৃষিত সংকল্পত বিভোল, মোহজালত মেৰখোৱা আৰু বিষয়-ভোগত অত্যন্ত আসক্ত অশুভ বাসনাৰ মানুহ নৰকত পতিত হয়; অৰ্থাৎ জীৱনত তাৰ ক্লেশ নুগুচে।[৪] আপোন-শলাগী, উধং স্বভাৱী, ধনমানমদযুত আসুৰী বাসনাৰ মানুহে মাথোন লোকক দেখুৱাবলৈ গওপ্ মাৰি নামনিমিত্তকৈ যজ্ঞানুষ্ঠান কৰে; তেনেকুৱা যজ্ঞৰ শুভফল নাই।[৫] সেই অশুভ বাসনাৰ ৰাক্ষসী স্বভাৱৰ মানুহে অহঙ্কাৰ, বল, দৰ্প, কাম আৰু ক্ৰোধৰ আশ্ৰয় লৈ নিজৰ আৰু অন্যৰ দেহস্থিত আত্মাৰূপ মোৰ (পৰমাত্মাৰ) প্ৰতি বিদ্বেষ ভাব প্ৰকাশ কৰি অশলাগী হয় মাথোন। সেই দ্বেষপৰৱশ ক্ৰূৰমতি অশুভ বাসনাৰ আসুৰী মানুহে ঘূৰি ঘূৰি আসুৰী যোনিত[৬] জনম লব লগাত পৰে। এই পূৰ্ব্বজন্মৰ ফলাফলৰপৰা কাৰো অব্যাহতি নাই।[৭]

"হে কুন্তীনন্দন! যি মানুহে নিজৰ আসুৰী বাসনাৰ ফলত এবাৰ আসুৰী যোনিত জনম লয়, তাৰ আৰু সহজে উদ্গতি নহয়, তাৰ ক্ৰমাৎ অধোগতি হে হয়। কাম, ক্ৰোধ আৰু লোভ, এই তিনি ৰিপু তিনিখন নৰকৰ দুৱাৰ স্বৰূপ[৮]; এই তিনিৰ প্ৰভাব এৰাব নোৱাৰিলে জীৱৰ উদ্গতি নাই। কিন্তু, যি এই তিনি ৰিপুক দমিব পাৰে, সি পৰমগতি লাভ কৰে। যি ৰাক্ষসী বাসনাৰে মানুহে শাস্ত্ৰবিধি অৱজ্ঞা কৰি স্বেচ্ছাচাৰ কৰে, তাৰ ইহলোকত সিদ্ধিলাভ (চিত্তশুদ্ধি) নোহোৱাৰ হেতুকে পৰলোকত পৰমগতি লাভ নহয়। হে অৰ্জ্জুন! কাৰ্য্য আৰু অকাৰ্য্য নিৰূপণৰ অৰ্থে শাস্ত্ৰই বিশিষ্ট প্ৰমাণ দিছে; এতেকে তুমি কোনো অশুভ বাসনাক প্ৰশ্ৰয় নিদি শাস্ত্ৰমতে স্বধৰ্ম্ম[৯] অনুযায়ী কৰ্ত্তব্যপৰায়ণ হোৱাঁ।[১০]

---

(১) অন্ন:—মল, মাংস, ৰুধিৰ, মজ্জাদি নিন্দিত পদাৰ্থযুক্ত দেহা। যি দেহত অহংবুদ্ধি, সিয়ে অন্নবুদ্ধি।

(২) যি দেহাক মাথোন পালিবৰ উদ্দেশে শাস্ত্ৰনিষিদ্ধ কাৰ্য্যত প্ৰবৃত্ত হয়, সিয়েই উগ্ৰকৰ্ম্মা।

(৩) গীতা, ১৬শ আধ্যা, ৭—১৫ শ্লোক।

(৪) অনেকচিত্তবিভ্ৰান্তা মোহজাল সমাবৃতাঃ। প্ৰসক্তাঃ কামভোগেষু পতন্তি নৰকেঽশুচৌ॥—গীতা, ১৬শ আধ্যা, ১৬ শ্লোক।

(৫) আত্মসম্ভাবিতাঃ স্তব্ধা ধনমানমদান্বিতাঃ। যজন্তে নামযজ্ঞৈস্তে দম্ভেনাবিধিপূৰ্ব্বকম্।—গীতা, ১৬শ আধ্যা, ১৭ শ্লোক।

(৬) সাপ, বাঘ, কুম্ভীৰ, হাঙ্গৰ, বিছা, জোক ইত্যাদি জীৱৰ যোনিক লক্ষ্য কৰি কোৱা হৈছে।

(৭) গীতা, ১৬শ আধ্যা, ১৮—১৯ শ্লোক।

(৮) ত্ৰিবিধং নৰকস্যেদং দ্বাৰং নাশনমাত্মনঃ।
কামঃ ক্ৰোধস্তথা লোভস্তস্মাদেতত্ৰয়ং ত্যজেৎ॥
—গীতা, ১৬শ আধ্যা, ২১ শ্লোক।

(৯) স্বধৰ্ম্মঃ—স্বপ্ৰকৃতি পূৰ্ব্বজন্মৰ কৰ্ম্মফল অনুযায়ী যি মানুহে যি প্ৰকৃতি লাভ কৰে, সেই অনুযায়ী বৃত্তিত সেই মানুহ প্ৰবৃত্ত হয়। অৰ্জ্জুনৰ পূৰ্ব্বজন্মৰ কৰ্ম্মফল অতি উত্তম; তাৰ ফলত তেওঁ ক্ষত্ৰিয়কুলৰ তিলক হৈ জন্মলাভ কৰিছে। তেওঁৰ স্বধৰ্ম্ম ক্ষত্ৰিয় ধৰ্ম্ম। এতেকে, স্বধৰ্ম্ম পালনৰ অৰ্থে এতিয়া তেওঁ ৰণলৈ উলাহেৰে আগ বঢ়া যুগুত।

(১০) গীতা, ১৬শ আধ্যা, ২০—২৪ শ্লোক।

সপ্তবিংশ আধ্যা

সাম্প্রদায়িক কৰ্ম্মানুষ্ঠান তত্ত্বজ্ঞান

সংসাৰ আৰু সংসাৰৰ শিপা বাসনা-বিষয়ক তত্ত্বজ্ঞান ব্যাখ্যা শ্ৰৱণ কৰি ভক্তিপৰায়ণ অৰ্জ্জুন বীৰে অতি আগ্ৰহৰে সৈতে ভগৱান শ্ৰীকৃষ্ণক সুধিলে, "হে কৃষ্ণ! যিবিলাকে শাস্ত্ৰবিধিলৈ আওকাণ কৰি আপোন মনেৰে শ্ৰদ্ধাযুক্ত হৈ পূজনাদি কৰে[১], সিবিলাকৰ নিষ্ঠা কিৰূপ? সাত্ত্বিকী, নে ৰাজসী, নে তামসী?"[২]

তত্ত্বজ্ঞানী ভগৱান শ্ৰীকৃষ্ণই হৃষিষ্ অন্তৰেৰে এই বুলি সমিচাৰ দিলে,—"হে ভাৰত! পূৰ্ব্বজন্মৰ কৰ্ম্মফল অনুযায়ী দেহী আত্মাৰ সাত্ত্বিকী, ৰাজসী আৰু তামসী প্ৰকৃতিভেদে স্বাভাৱিক শ্ৰদ্ধা তিনি প্ৰকাৰ। তাৰ বিশদ ব্যাখ্যা দিওঁ, শুনিবা। যিসকলে দেৱতাদিৰ পূজা কৰে, সেইসকল সাত্ত্বিক, যিবিলাকে যক্ষ-ৰাক্ষসাদিৰ পূজা কৰে, সিবিলাক ৰাজসিক, আৰু যিবিলাকে ভূত-প্ৰেতাদিৰ পূজা কৰে, সিবিলাক তামসিক। যিবিলাকে শাস্ত্ৰত নোহোৱা স্বকল্পিত বিধি অনুসৰি কঠোৰ তপস্যাত ধৰি উপবাস, অনাহাৰ, অনিদ্ৰা ব্ৰতৰ দ্বাৰাই দেহক কৃশ আৰু দুৰ্ব্বল কৰে, তাৰ লগে লগে দেহস্থিত আত্মাকো কৃশ কৰে, সেই বিবেকবিহীন লোক ইহলোকত সৰ্ব্বসুখৰপৰা বঞ্চিত আৰু পৰলোকত অধোগতি প্ৰাপ্ত হয়। সিবিলাক আসুৰ[৩] শ্ৰেণীত ভুক্ত।[৪]

"প্ৰকৃতিভেদে মানুহৰ আহাৰো তিনি প্ৰকাৰ[৫], আৰু তপ, যজ্ঞ, দান এই ধৰ্ম্মকৰ্ম্মানুষ্ঠানো প্ৰত্যেকেই তিনি বিধৰ।[৬] সেইবোৰৰ সুকীয়াকৈ ব্যাখ্যা দিওঁ, শুনিবা।

আহাৰ:—যি আহাৰ মানুহৰ পৰমায়ু বৃদ্ধি কৰে, যি আহাৰে দুৰ্ব্বল শৰীৰত বল দিয়ে, যি আহাৰে ৰোগ নিবাৰণ কৰে আৰু গুচায়, যি আহাৰে মন-প্ৰাণ পৰিতৃপ্ত কৰে, যি আহাৰ সোৱাদ, শীতল আৰু ৰুচিকৰ, যি আহাৰে মনত উৎসাহ বঢ়ায়, সেইবোৰ আহাৰেই সাত্ত্বিক সম্প্ৰদায়ৰ আহাৰ, অতি কেহা, টেঙা, লুনীয়া, চোকা, উগ্ৰ (বাৰ-মচলা দিয়া গুৰুপাকী) আহাৰ, আৰু যি আহাৰ পাচত ৰোগ, শোক, দুখ, বিষাদিৰ কাৰণ হয়, সেই আহাৰ ৰাজসিক সম্প্ৰদায়ে ভোগ কৰে. কৰ্ক্বা, পঁইতা, আধা-সিজা, অতিসিজা, গেলা, পচা, দুৰ্গন্ধী, এৰা, অশুচি আহাৰ তামসিক সম্প্ৰদায়ে ভোজন কৰে।

যজ্ঞ:—ফল কামনা ত্যাগ কৰি কেৱল চিত্তশুদ্ধিৰ উদ্দেশে কৰ্ত্তব্য জ্ঞান কৰি যি যজ্ঞ অনুষ্ঠিত কৰা হয়, সেয়ে সাত্ত্বিক যজ্ঞ, ফল কামনাৰে আৰু নিজৰ মহত্তালি প্ৰকাশৰ উদ্দেশে যি যজ্ঞ কৰা হয়, সি ৰাজসিক, আৰু যি যজ্ঞ শাস্ত্ৰবিধিবৰ্জ্জিত আৰু য'ত শ্ৰদ্ধাৰ অভাৱ, সেই যজ্ঞ তামসিক।

তপ:—শাৰীৰিক তপস্যা, বাচিক তপস্যা আৰু মানস তপস্যা, এই তিনি প্ৰকাৰ তপস্যাৰ লক্ষণ এই, —যেনে, দেৱ, দ্বিজ, গুৰু আৰু প্ৰাজ্ঞজনৰ পূজা আৰু শৌচ, আৰ্জ্জৱ, ব্ৰহ্মচৰ্য্যা, অহিংসা এইবোৰ শাৰীৰিক তপস্যাৰ নিষ্ঠা, সদালাপ, সত্যকথা, অৰ্থাৎ যি কথা শুনিলে শ্ৰোতাৰ মনোবেদনা নহয়, যি সত্যকথা শুনি শ্ৰোতাৰ

---

(১) সাধাৰণতে কৰ্ম্মানুষ্ঠান তিনি শ্ৰেণীত বিভক্ত। প্ৰথমতে, যিবিলাকে শাস্ত্ৰবিধি অনুযায়ী ধৰ্ম্মকৰ্ম্মানুষ্ঠান কৰে, সিবিলাক দেৱ সম্প্ৰদায়, দ্বিতীয়তে, যিবিলাকে শাস্ত্ৰবিধি জানিও তাৰ প্ৰতি অৱজ্ঞা কৰি নিজ ইচ্ছানুৰূপ কৰ্ম্মানুষ্ঠান কৰে সেইবিলাক অসুৰ সম্প্ৰদায়; আৰু যিবিলাকে শাস্ত্ৰবিধি জানিও তালৈ আওহেলা কৰি উদাসীন ভাৱে, অথচ শ্ৰদ্ধাযুক্ত হৈ নিজৰ মনোমত কৰ্ম্মানুষ্ঠান কৰে, সিবিলাক কোন্ সম্প্ৰদায়ভুক্ত? অৰ্জ্জুনে নিজক এই তৃতীয় বিধ সম্প্ৰদায়ভুক্ত জানি, এই সাম্প্ৰদায়িক পৰিণাম বিষয়ক সংশয় ভঞ্জনৰ অৰ্থে কৃষ্ণগুৰুক তত্ত্বপ্ৰশ্ন কৰিছে, এই বিধৰ নিষ্ঠা কি? সাত্ত্বিকী, নে ৰাজসী, নে তামসী?

(২) গীতা, ১৭শ আধ্যা, ১ম শ্লোক।

(৩) নিকৃষ্ট সম্প্ৰদায়ৰ কৰ্ম্মানুষ্ঠানৰ ব্যাখ্যা দিওঁতেই উৎকৃষ্ট সম্প্ৰদায়ৰ কৰ্ম্মানুষ্ঠান অযাচিতে ব্যাখ্যা কৰা হয়। ইয়াকে নিষেধমুখী ব্যাখ্যা বোলা যায়।

(৪) গীতা, ১৭শ আধ্যা, ২—৬ শ্লোক।

(৫) চৰ্ব্ব্য, চোষ্য আৰু লেহ্য এই ত্ৰিবিধ আহাৰ।

(৬) (ক) অগ্নিহোত্ৰাদি যজ্ঞ; (খ) চান্দ্ৰায়নাদিতপঃ; (গ) দানাদি বিশিষ্ট দান।

কল্যাণ সাধিত হয়, এনেকুৱা বচন ব্যৱহাৰ আৰু যথাবিধি বেদাধ্যয়ন এই বোৰেই বাচিক তপস্যাৰ লক্ষণ, চিত্ত-প্ৰসন্নতা, অক্ৰূৰতা, মৌন ভাব, আত্মসংযম, চিত্তশুদ্ধি এইবোৰ মানস তপস্যাৰ আচৰণ। কামনা ত্যাগ কৰি নিজ কৰ্ত্তব্য বোধ কৰা এই ত্ৰিবিধ তপস্যা সাত্বিক, মান-সৎকাৰ, যশস্যা, গৌৰবৰ উদ্দেশে যি তপস্যা অনুষ্ঠিত হয়, সি ৰাজসিক, দুৰাকাঙ্ক্ষা তৃপ্তি আৰু নিবৃত্তিৰ নিমিত্তে, অথবা আনৰ বিনাশ কামনাৰে যি তপস্যা কৰা যায়, সি তামসিক।

দান :—দেশ কাল-পাত্ৰভেদে প্ৰত্যুপকাৰৰ আশা নৰখাকৈ, কেৱল কৰ্ত্তব্যৰ অনুৰোধত যি দান কৰা যায়, সি সাত্বিক, প্ৰত্যুপকাৰৰ প্ৰত্যাশা বা স্বৰ্গাদি ফল কামনাৰে যি দান কৰা যায়, সি ৰাজসিক, যি দান অযোগ্য দেশত, অশুভ কালত, অপাত্ৰত আৰু অবজ্ঞাৰে সৈতে প্ৰদত্ত হয়, সি তামসিক দান।[১]

"ওঁ তৎসৎ" পৰব্ৰহ্মৰ এই তিনিপ্ৰকাৰ নাম শাস্ত্ৰে নিৰ্দ্দেশ কৰিছে। যি দৰে ওঁকাৰৰূপে পৰব্ৰহ্মৰ নাম অ+উ+ম, এই ত্ৰিবৰ্ণাত্মক, সেইদৰে পূৰ্ব্বকালত মহৰ্ষিসকলে পৰব্ৰহ্মৰ ওঁ+তৎ+সৎ, এই তিনি অবয়ৱযুক্ত নাম মন্ত্ৰৰ আদিতে স্মৰণ কৰিছিল। কাৰণ, তদ্বাৰাই ধৰ্ম্মানুষ্ঠানৰ কাৰ্য্যবৈগুণ্য দোষ খণ্ডন কৰা যায়। এই নামৰ প্ৰভাবেৰেই ব্ৰহ্মাই আদিতে ব্ৰাহ্মণ[২], বেদ আৰু যজ্ঞ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল[৩]। এই হেতুকেই বেদবিদ পণ্ডিত সকলে 'ওঁ' নাম উচ্চাৰণ কৰি যজ্ঞ, দান, তপস্যাদি ক্ৰিয়াত প্ৰবৃত্ত হয়। এই কাৰণেই মোক্ষ আকাঙ্ক্ষীসকলে 'তৎ' এই শব্দ উচ্চাৰণ কৰি বিবিধ যজ্ঞ, দান, তপস্যাদি সম্পাদন কৰে। আৰু, এই নিমিত্তেই, হে পাৰ্থ, শিষ্টসকলে সদ্ভাব[৪] আৰু সাধুভাব জনিত[৫] মঙ্গলজনক কাৰ্য্যাৰম্ভণত 'সৎ' শব্দ উচ্চাৰণ কৰে। কিন্তু, হে অৰ্জ্জুন! শ্ৰদ্ধাই সিদ্ধিৰ মূল, অশ্ৰদ্ধাৰে সৈতে অগ্নিত আহুতি দান, ব্ৰাহ্মণ সজ্জনক অন্ন বস্ত্ৰাদি দান, আৰু কায়িক, বাচিক আদি তপস্যা আৰু আন যি কোনো কৰ্ম্মৰ অনুষ্ঠান কৰা যায়, সমস্ত অসৎ আৰু ব্যৰ্থ হয়, আৰু সেই শ্ৰদ্ধাহীন কাৰ্য্যৰ দ্বাৰাই ইহলোক আৰু পৰলোক ক'তো কোনো গুণ বা ফল লাভ কৰা নাযায়।[৬]

অষ্টবিংশ আধ্যা

ত্যাগ তত্ত্বজ্ঞান

অষ্টাদশ আধ্যাৰে সৈতে গীতা সম্পূৰ্ণ। এই মোখনী আধ্যাত আগৰ আধ্যাবোৰৰ ভালেমান জটিল তত্ত্বৰ সৰল ব্যাখ্যা দিয়া হৈছে মাথোন, নতুন মূলতত্ত্ব সন্নিবিষ্ট হোৱা নাই। বিশেষ, ১৪শ আৰু ১৫শ আধ্যাতে ১৮শ আধ্যাত কবলগীয়া কথাৰ সাৰাংশ কথিত হৈছে। এতিয়া এই মোখনী আধ্যাৰ ব্যাখ্যাত ভালেমান তত্ত্বৰ বছা বছা লাগতিয়াল গোটাচেৰেক তত্ত্ব-ব্যাখ্যাত মাথোন উদ্ধৃত কৰা যাব।

সৰ্ব্বশাস্ত্ৰবিশাৰদ সূক্ষ্মতত্ত্বদৰ্শী আত্মজ্ঞানী পৰমাত্মাস্বৰূপ নৰতনু বিশ্ববিকাশ বাহুবিঘ্নবিনাশক জীৱন্ত শক্তি মহাবাহু কেশিনিসূদন অন্তৰ ৰিপুসংযমী হৃষীকেশ গোবিন্দ শ্ৰীকৃষ্ণ-কথিত তত্ত্বজ্ঞান উপলব্ধি কৰি তন্ময় হৈ পাৰ্থবীৰে ভক্তি-বিহ্বল শুদ্ধচিত্তেৰে এইবুলি পুনৰপি কৃপাভিক্ষা কৰিলে,—

(১) গীতা, ১৭শ আধ্যা, ৭ - ২২ শ্লোক।

(২) এই প্ৰসঙ্গত ব্ৰাহ্মণ (ব্ৰাহ্মণাস্তেন) শব্দৰ দ্বাৰাই ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য, এই ত্ৰিবিধ দ্বিজক উপলক্ষ্য কৰা হৈছে।

—কৃষ্ণানন্দস্বামীকৃত গীতাৰ্থ সন্দীপনী।

(৩) ওঁ তৎসদিতি নিৰ্দ্দেশো ব্ৰহ্মণস্ত্ৰিবিধঃ স্মৃতঃ।
ব্ৰাহ্মণাস্তেন বেদাশ্চ যজ্ঞাশ্চ বিহিতাঃ পুৰা॥
—গীতা, ১৭শ আধ্যা, ২৩ শ্লোক।

(৪) সদ্ভাব অৰ্থত অস্তিত্ব, অৰ্থাত কোনো বস্তু আছেনে নাই তাত সংশয় হলে ব্ৰহ্মাৰ 'সৎ' নাম উচ্চাৰণ কৰি সেই আশঙ্কা আঁতৰ কৰা হয়।

—কৃষ্ণানন্দ স্বামীৰ গীতাৰ্থ সন্দীপনী।

(৫) সাধুভাব, অৰ্থাৎ সাধুত্ব বা পৱিত্ৰ, অৰ্থাৎ কোনো বস্তুৰ পৱিত্ৰতাত সংশয় হলে মহাত্মাসকলে ব্ৰহ্মৰ পৱিত্ৰ নামাঙ্গ 'সৎ' শব্দ উচ্চাৰণ কৰি তাৰ বৈগুণ্য দোষ খণ্ডন কৰে।

(৬) গীতা, ১৭শ আধ্যা, ২৩—২৮ শ্লোক।

"হে মহাবাহো! হে হৃষীকেশ! হে কেশিনিসূদন! এতিয়া সন্ন্যাস আৰু ত্যাগৰ[১] প্ৰকৃত পাৰ্থক্য কি, জানিবলৈ মোৰ ধাউতি বাঢ়িছে; কৃপা কৰি তাৰ বিশদ ব্যাখ্যা দি মোৰ তত্ত্বজ্ঞান সম্পূৰ্ণ কৰা।"[২]

গীতাশাস্ত্ৰৰ ব্যাখ্যা শ্ৰৱণত অৰ্জ্জুনৰ আসক্তি উপলব্ধি কৰি ভগৱান শ্ৰীকৃষ্ণই হৰিষ্ অন্তৰেৰে এই বুলি পুনৰপি সূক্ষ্মতত্ত্বৰ ব্যাখ্যা আৰম্ভ কৰিলে,—"হে অৰ্জ্জুন! বেদ-শাস্ত্ৰবিদ্ পণ্ডিতসকলৰ মতে কাম্যকৰ্ম্ম আৰু তাৰ ফলবাসনা বৰ্জ্জন[৩] কৰাৰ নাম 'সন্ন্যাস'; তদুপৰি নিত্যকৰ্ম্ম-সমূহ আৰু তাৰ ফলবাসনা বিসৰ্জ্জন দিয়াৰ নাম 'ত্যাগ'। ই ঘট আৰু পটৰ নিচিনা বিভিন্ন জাতীয় নহয়, ঘট আৰু ঘটীৰ নিচিনা একে জাতীয় পদাৰ্থ হে।[৪]

"হে অৰ্জ্জুন! ত্যাগ বিষয়ত পণ্ডিতসকলৰ ভিতৰত মতভেদ আছে। কাৰো মতে মুক্তিৰ বাধক কামাকাম আৰু নিত্যকাম মাত্ৰেই বৰ্জ্জনীয়; কাৰো মতে যজ্ঞ, দান তপস্যাদি কৰ্ম্ম কোনোমতে বৰ্জ্জনীয় নহয়। কিয়নো, এইবোৰ কৰ্ম্মানুষ্ঠান চিত্তশুদ্ধিৰ অৰ্থে প্ৰয়োজনীয়। হে ভৰতসত্তম! সেই সমস্যা খণ্ডাবৰ হেতু মানৱৰ ত্যাগ বিষয়ে মোৰ সিদ্ধান্ত মত এই:—ত্যাগ তিনিপ্ৰকাৰ; যেনে, ১ম, ফলকামনা নাৰাখি কৰ্ম্মৰ অনুষ্ঠান কৰা, ২য়, ফলকামনাযুত কৰ্ম্মানুষ্ঠান মাথোন বৰ্জ্জন; ৩য়, ফলকামনা আৰু তাৰ লগতে সমুদায় কৰ্ম্মানুষ্ঠান পৰিহাৰ কৰা। ইয়াৰ ভিতৰত প্ৰথম বিধেই শ্ৰেয়ঃ। নিত্যকৰ্ম্ম ত্যাগ কৰাও বিধেয় নহয়। কৰ্ত্তব্যবোধত কৰ্ম্মৰ অনুষ্ঠান কৰি, তাৰ ফলবাসনালৈ উদাসীন হোৱাই সাত্ত্বিক ত্যাগ; এই ত্যাগেই গ্ৰহণীয়।[৫]

"হে পাৰ্থ! অত্যাগী[৬] মানুহৰ চিত্তশুদ্ধি হোৱাৰ আগেয়েই মৃত্যু হলে সেই মানুহে কৰ্ম্মানুষ্ঠানৰ প্ৰায়শ্চিত্ত স্বৰূপ পুনৰ্জ্জন্ম লব লগাত পৰে। কিন্তু, 'স্বয়ং কৰ্ত্তা' ৰূপ যাৰ অভিমান নাই, যাৰ বুদ্ধি কাৰ্য্যত লিপ্ত নহয়, তেওঁ সমস্ত লোক বধ কৰিলেও প্ৰকৃতপক্ষে তেওঁৰ একো কৰা নহয়, তেওঁ তাৰ বাবে প্ৰায়শ্চিত্তভাগীও নহয়।[৭] হে অৰ্জ্জুন! আগেয়ে কৈ অহা ত্ৰিবিধ জ্ঞানৰ সূত্ৰ মনত ৰাখিলে কৰ্ম্মানুষ্ঠানত বিঘ্ন বা বেমেজালি নঘটে। সেই ত্ৰিবিধ জ্ঞান হৈছে, সাত্ত্বিক জ্ঞান, ৰাজসিক জ্ঞান আৰু তামসিক জ্ঞান। (ক) যি জ্ঞানৰ দ্বাৰাই সৰ্ব্বব্যাপী এক অব্যয় সত্তাৰূপ ভাবৰ উপলব্ধি হয়, সেয়ে সাত্ত্বিক জ্ঞান; (খ) যি জ্ঞানৰদ্বাৰাই ভিন্ ভিন্ দেহস্থিত ভিন্ ভিন্ পদাৰ্থৰ অনুভৱ হয়, সেয়ে ৰাজসিক জ্ঞান; (গ) যি জ্ঞানৰ দ্বাৰাই সৰ্ব্বব্যাপী আত্মাক কোনো স্বকীয়া দেহত বা মূৰ্ত্তিত বা কৰ্ম্মানুষ্ঠানত আৱদ্ধ অনুভৱ কৰায়, সেয়ে তামসিক জ্ঞান।[৮]

"হে পাৰ্থ! যি বুদ্ধিৰ বলত প্ৰবৃত্তি আৰু নিবৃত্তি, কাৰ্য্য আৰু অকাৰ্য্য ভয় আৰু অভয়, বন্ধন আৰু মুক্তি বিষয়ে জ্ঞাত হোৱা যায়, সেয়ে সাত্ত্বিক বুদ্ধি; যি বুদ্ধিৰ দ্বাৰাই ধৰ্ম্ম আৰু অধৰ্ম্ম, কাৰ্য্য আৰু অকাৰ্য্য ইত্যাদি বিষয়ত সংশয় ওপজে, সেয়ে ৰাজসিক বুদ্ধি; যি বুদ্ধিয়ে অজ্ঞান-অন্ধকাৰলৈ নি অকাৰ্য্যক কাৰ্য্য, অধৰ্ম্মক ধৰ্ম্ম আৰু অন্যান্য সকলো বিষয়তে বিপৰীত বোধ জন্মায়, সেয়ে তামসিক বুদ্ধি। সেই অনুক্ৰমে সেই সেই বুদ্ধিৰ অনুগামী-সকলো সাত্ত্বিক, ৰাজসিক আৰু তামসিক কৰ্ত্তাৰূপে অভিহিত। তদনুযায়ী ধৃতিও সাত্ত্বিক, ৰাজসিক আৰু তামসিকৰূপে ত্ৰিবিধ।[৯]

---

(১) 'সন্ন্যাস' আৰু 'ত্যাগ' এই দুটি 'ঘট' আৰু 'পটৰ' নিচিনা বিভিন্ন জাতীয় নে, ঘট আৰু ঘটীৰ নিচিনা একেবিধ শঁজুলিৰ বিভিন্ন নাম, অৰ্জ্জুনে তাৰে বিশ্লেষণ বিচাৰিছে।

(২) গীতা, ১৮শ আধ্যা, ১ম শ্লোক।

(৩) কাম্যকৰ্ম্ম মাত্ৰেই মুক্তিৰ প্ৰতিবন্ধক, ইয়াৰ ফল কামনাই মুক্তিমাৰ্গ ৰোধ কৰে।

(৪) গীতা, ১৮শ আধ্যা, ২ শ্লোক।

(৫) গীতা, ১৮শ আধ্যা, ৩—১১ শ্লোক।

(৬) যিবিলাকে কৰ্ম্মৰ আংশিক অনুষ্ঠান আৰু আংশিক পৰিত্যাগ কৰে, সিবিলাকক অত্যাগী সন্ন্যাসী বা গৌণসন্ন্যাসী বোলা যায়।

—শ্ৰীধৰ স্বামীকৃত গীতাৰ টীকা।

(৭) এনেবিধ কৰ্ম্মীৰ কৰ্ম্মানুষ্ঠানক পৰমাৰ্থ সন্ন্যাস বোলা যায়।

(৮) গীতা, ১৮শ আধ্যা, ১২—২২ শ্লোক।

(৯) গীতা, ১৮শ আধ্যা, ২৩—৩৫ শ্লোক।

"হে ভৰতশ্ৰেষ্ঠ! সত্ত্ব, ৰজ, তমঃ গুণানুসাৰে মানুহে অভ্যাসত অনুভৱ কৰা সুখ আৰু দুখো তিনি প্ৰকাৰ;— যি সুখৰ আৰম্ভণ বিহযেন[১] আৰু পৰিণাম অমৃতহেন[২], আৰু যাৰপৰা আত্মবুদ্ধিৰ প্ৰসন্নতা জন্মে, সেয়ে সাত্ত্বিক সুখ; যি সুখৰ আৰম্ভণ অমৃতহেন আৰু সামৰণ বিহযেন, আৰু যি বিষয় আৰু ইন্দ্ৰিয়ৰ যোগত উদয় হয়, সেয়ে ৰাজসিক সুখ; আৰু যি সুখ কেৱল তন্দ্ৰা, এলাহ আৰু প্ৰমাদমূলক, সেয়ে তামসিক সুখ। এই তিনিগুণ প্ৰকৃতি-জাত, গতিকে সি সকলোতে বৰ্ত্তমান। এই স্বাভাৱিক গুণানুসাৰেই ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ কৰ্ম্মবিভাগ নিৰূপিত হৈছে।[৩] শম, দমঃ, তপঃ, শৌচ, ক্ষমা, সৰলতা, জ্ঞান, বিজ্ঞান আৰু আস্তিকতা এই ৯টা ব্ৰাহ্মণৰ স্বধৰ্ম্ম বা স্বভাবজাত ধৰ্ম্ম; শৌৰ্য্য, তেজ, ধৃতি, দক্ষতা, যুদ্ধত অপৰাঙ্মুখতা, ঈশ্বৰভাব (প্ৰভুত্ব) আৰু দান, এই কেইটা ক্ষত্ৰিয়ৰ স্বধৰ্ম্ম বা প্ৰকৃতিগত কৰ্ম্ম, কৃষি, গো-ৰক্ষা আৰু বাণিজ্য, এই কেইটা বৈশ্যৰ স্বধৰ্ম্ম বা স্বাভাৱিক কৰ্ম্ম, আৰু উল্লিখিত দ্বিজাতিত্ৰয়ৰ সেৱা আৰু শুশ্ৰূষা শূদ্ৰৰ স্বধৰ্ম্ম বা স্বভাবজ কৰ্ম্ম[৪]।[৫]

"হে অৰ্জ্জুন! যি ঈশ্বৰে আকাশাদি ভূতসমূহ সৃষ্টি কৰিছে, যি ঈশ্বৰ বিশ্বব্ৰহ্মাণ্ডৰ সৰ্ব্বত্ৰতে বিদ্যমান আছে, সেই ঈশ্বৰক মানুহে স্বধৰ্ম্ম[৬] অনুযায়ী কৰ্ম্মৰ দ্বাৰাই অৰ্চ্চনা কৰি সিদ্ধিলাভ কৰিব পাৰে। হে কুন্তীনন্দন! "স্বধৰ্ম্মে নিধনো শ্ৰেয়ঃ" এই পূৰ্ব্বোক্ত উপদেশ সততে পালন কৰিলেই পৰানিষ্ঠজ্ঞান[৭] লাভ কৰিব পাৰিবা। বিশুদ্ধ বুদ্ধিৰ বলেৰে ইন্দ্ৰিয়াদিক সংযত কৰি, অৰ্থাৎ ৰূপ-ৰস-গন্ধাদিৰপৰা চিত্তক নিবৃত্ত কৰি, বিষয়ানুৰাগত যি উদাসীন হব পাৰে, সেই মহাত্মা পুৰুষেই ব্ৰহ্মভাব লাভ কৰিব পাৰে। যি ব্ৰহ্মত অৱস্থিত, যি প্ৰসন্নমনা, যি শোকত উদ্বিগ্ন নহয়, যি কোনো প্ৰকাৰৰ আকাঙ্ক্ষা নকৰে আৰু যি সৰ্ব্বভূতৰ প্ৰতি সমদৰ্শী, সেই মহাত্মাই পৰম পৰমাত্মা-ভক্তি লাভ কৰে; আৰু পৰিণামত পৰমাত্মাতে প্ৰৱেশ কৰে। কিয়নো, নিষ্ঠাবান হৈ চিত্তশুদ্ধি লাভ কৰি ভগৱানৰ শৰণাগত হলেই মুক্তিপদ লাভ কৰা যায়। এতেকে, হে অৰ্জ্জুন, তুমি যোগবলেৰে সমস্ত কৰ্ম্ম ভগবানত সমৰ্পণ কৰি চিত্তস্থিৰ ব্ৰহ্মপৰায়ণ হলেই সমস্ত দুখ-চিন্তাৰ-পৰা উত্তীৰ্ণ হবা। নচেৎ, অহঙ্কাৰ কৰি ইয়াৰ অন্যথা

---

(১) সাত্ত্বিক সুখজ্ঞান বৈৰাগ্য, ধ্যান আৰু সমাধি আদিৰ দ্বাৰাই সাধন কৰা যায়, গতিকে সি কষ্টসাধ্য হেতুকে আদিতে বিহযেন লাগে।

(২) সাত্ত্বিক সুখৰ সাধনা এবাৰ সিদ্ধি হৈ উঠিলে সি পৰম আনন্দদায়ক হয়; গতিকে তেতিয়া সি অমৃতযেন বোধ হয়।

(৩) ব্ৰাহ্মণক্ষত্ৰিয়বিশাং শূদ্ৰাণাং চ পৰন্তপ।
কৰ্ম্মাণি প্ৰবিভক্তানি স্বভাবপ্ৰভবৈৰ্গুণৈঃ।
—গীতা ১৮শ আধ্যা, ৪১ শ্লোক।

ব্ৰাহ্মণক্ষত্ৰিয়বিশাং ব্ৰাহ্মণ+ক্ষত্ৰিয়+বিশ্, এই তিনি শব্দৰ সংযোগ সমাসে এই তিনি বৰ্ণৰ দ্বিজত্ব আৰু বেদাধ্যয়ন অগ্নিহোত্ৰাদি কৰ্ম্মত অধিকাৰ দেখুৱাইছে। স্বভাব-প্ৰভৈৰ্গুণৈঃ বাক্যে প্ৰমাণ কৰিছে যে, সত্ত্ব, ৰজঃ, তমঃ ত্ৰিগুণাত্মিক প্ৰকৃতি বা স্বধৰ্ম্ম অনুযায়ী এই বৰ্ণ চতুষ্টয়ৰ সৃষ্টি হৈছে। যেনে, সাত্ত্বিকগুণী ব্ৰাহ্মণৰ কৰ্ম্ম পূজন, যাজন, অধ্যয়ন; ৰাজসিকগুণী ক্ষত্ৰিয়ৰ ধৰ্ম্ম শাসন, পালন, অধ্যয়ন; মিশ্ৰগুণী বৈশ্যধৰ্ম্ম কৃষি, বাণিজ্য, অধ্যয়ন; তামসিকগুণী শূদ্ৰৰ কৰ্ম্ম সেৱা, শুশ্ৰূষা, শ্ৰৱণ; অথবা সেই সেই গুণানুসাৰে সেই সেই বৰ্ণৰ উৎপত্তি।
—কৃষ্ণানন্দস্বামীকৃত গীতাসন্দীপনী।

(৪) শমো দমস্তপ শৌচং ক্ষান্তিৰাৰ্জ্জবমেব চ।
জ্ঞানং বিজ্ঞানমাস্তিক্যং ব্ৰাহ্মং কৰ্ম্ম স্বভাবজম্॥
—গীতা, ১৮শ আধ্যা, ৪২ শ্লোক।
শৌৰ্য্যং তেজো ধৃতিৰ্দাক্ষ্যং যুদ্ধে চাপ্যপলায়নম্।
দানমীশ্বৰভাবশ্চ ক্ষাত্ৰং কৰ্ম্ম স্বভাবজম্।
—গীতা, ১৮শ আধ্যা, ৪৩ শ্লোক।
কৃষিগোৰক্ষ্যবাণিজ্যং বৈশ্যং কৰ্ম্ম স্বভাবজম্।
পৰিচৰ্য্যাত্মকং কৰ্ম্ম শূদ্ৰস্যাপি স্বভাবজম্॥
—গীতা, ১৮শ আধ্যা, ৪৪ শ্লোক।

(৫) গীতা, ১৮শ আধ্যা, ৩৬—৪৪ শ্লোক।

(৬) স্বধৰ্ম্ম অৰ্থত স্বকুলজ ধৰ্ম্ম; পূৰ্ব্বজন্মৰ কৰ্ম্মফল অনুযায়ী যি জীৱাত্মাই যি কুলত জন্ম লয়, তাৰ সেয়ে কুলজ ধৰ্ম্ম।

(৭) পৰানিষ্ঠাৰ উপৰি আৰু সাধনা নাই। এতিয়া, গীতা ব্যাখ্যাৰ সামৰণিত পৰমগুৰু শ্ৰীকৃষ্ণই পৰমভক্ত শিষ্য অৰ্জ্জুনক শেষ গুহ্যতম জ্ঞান উপদেশ দিবলৈ উদ্যত হৈছে।

কৰিলে তুমি বিনষ্ট হবাঁ।[১]"

"হে অৰ্জ্জুন! অহঙ্কাৰ কৰি যুদ্ধ নকৰোঁ বুলিও তুমি ৰব নোৱাৰিবাঁ। কিয়নো, তোমাৰ স্বধৰ্ম্মে[২] তোমাক যুদ্ধত প্ৰবৃত্ত হবলৈ বাধ্য কৰিব। তোমাৰ অভিমান নিশ্চয় নৰজিব, আৰু তোমাৰ এই মোহ আপুনি মাৰ যাবগৈ। হে কুন্তীনন্দন! এই কথা ধ্ৰুৱ বুজিবা যে, ভগৱানে প্ৰাণীসমূহৰ হৃদয়ত বাস কৰি গোটেই জগতক পুতলাৰ দৰে নচুৱাব লাগিছে। এতেকে, তুমি যুদ্ধ নকৰোঁ বোলা অহঙ্কাৰ পৰিহাৰ কৰি ভগৱন্তৰ শৰণাগত হোৱাঁ, নহলে তোমাৰ নিস্তাৰ নাই। কিন্তু, স্বধৰ্ম্ম পাল কৰোঁতে নিধন হলেও তুমি মোক্ষপ্ৰাপ্ত হবাঁ।"[৩]

উনত্ৰিংশ আধ্যা

গুহ্যাতিগুহ্য গীতাতত্ত্ব—সঞ্জয়-মন্তব্য

সামৰণিত পৰম গুৰু শ্ৰীকৃষ্ণই পৰম প্ৰিয় শিষ্য অৰ্জ্জুনক এই বুলি শেষ উপদেশ দিলে, "হে অৰ্জ্জুন! মই তোমাৰ আগত গুহ্যাতিগুহ্য আত্মজ্ঞান[৪] ব্যাখ্যা কৰিলোঁ। এতিয়া সেই ব্যাখ্যাৰ আদিৰপৰা অন্তলৈকে অতি গভীৰভাৱে সুমৰি চাই তুমি যেনে যুগুত বিবেচনা কৰাঁ, তাকে কৰাঁ। হে অৰ্জ্জুন! তুমি সমুদায় ধৰ্ম্মৰ অনুষ্ঠান[৫] সাৰ কৰি কেৱল ভগৱানৰ শৰণাগত হোৱাঁ, তেনেহলেই তুমি সৰ্ব্ব পাপৰপৰা মুক্তি পাবাঁ যে তাত সংশয় নকৰিবাঁ।[৬] হে অৰ্জ্জুন! তোমাৰ হিতাৰ্থে যি গুহ্যাতিগুহ্য গীতা ব্যাখ্যা কৰিলোঁ, এই ব্যাখ্যা-উপদেশ তপস্যাবিহীন, ভক্তিবৰ্জ্জিত, শুশ্ৰূষাৰহিত আৰু ভগৱানৰ প্ৰতি অশ্ৰদ্ধাযুত লোকৰ আগত কোৱা কাচিতো উচিত নহয়।[৭] এই গীতাতুল্য প্ৰিয়বস্তু মোৰ আন একো নাই, এই গীতা পাঠত যাৰ প্ৰবল অনুৰাগ তাৰ সমান মোৰ প্ৰিয় আন কোনো নহয়, যি ভক্তিৰে সৈতে গীতাপাঠ শ্ৰৱণ কৰে তাৰ প্ৰতিও মই সততে তুষ্ট।

সামৰণিত ভগৱান শ্ৰীকৃষ্ণই অতি আগ্ৰহৰে সৈতে অৰ্জ্জুনক পুনৰপি সুধিলে, "হে পাৰ্থ! গীতাশাস্ত্ৰ ব্যাখ্যা তুমি একাগ্ৰচিত্তেৰে শুনিলা নে? হে ধনঞ্জয়! তোমাৰ অজ্ঞানকৃত মোহজাল বিনষ্ট হল নে?[৮]

অৰ্জ্জুনে গভীৰ কৃতজ্ঞতাৰে সৈতে অতি ভক্তিভাৱে তেওঁৰ শেষ-সিদ্ধান্তমত এই বুলি নিবেদিলে, "হে অচ্যুত! তোমাৰ কৃপাত মোৰ সমস্ত মোহ বিনষ্ট হল, তোমাৰ অনুগ্ৰহত মই স্থিৰচিত্ত হলোঁ, আৰু তোমাৰ অভয় চৰণত শৰণাগত হৈ মই সৰ্ব্বসংশয়ৰপৰ মুক্ত হলোঁ। এতিয়া, হে প্ৰভো! তোমাৰ উপদেশানুৰূপ কাৰ্য্য কৰিবলৈ মই সক্ষম হৈছোঁ (অৰ্থাৎ, মই যুদ্ধত প্ৰবৃত্ত হবলৈ প্ৰস্তুত হৈছোঁ)।[৯]

ৰাজনৈতিক মহাপুৰুষ আৰু আধ্যাত্মিক মহাগুৰু

---

(১) গীতা, ১৮শ আধ্যা, ৪৫—৫৮ শ্লোক।

(২) অৰ্জ্জুনৰ স্বধৰ্ম্ম ৰাজসিক,—যুদ্ধত পৰাঙ্মুখ নোহোৱা।

(৩) গীতা, ১৮শ আধ্যা, ৫৯—৬২ শ্লোক।

(৪) মন্ত্ৰ তন্ত্ৰ মণি-ৰসায়নাদি গুহ্যপদাৰ্থতকৈ আত্মজ্ঞান গুহ্যতম। কিয়নো, মণিমন্ত্ৰাদিয়ে অনিত্য সাংসাৰিক সুখ মাথোন লাভ কৰায়, কিন্তু আত্মজ্ঞানৰ প্ৰভাৱত জীৱই ব্ৰহ্মানন্দৰূপ নিত্যসুখ লাভ কৰে।

(৫) 'সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য' বোলোঁতে 'সৰ্ব্বকৰ্ম্মসন্ন্যাস' বুলি বুজিব নালাগে। কিয়নো, ভগৱানৰ শৰণাগত হোৱাও এক কৰ্ম্ম। গতিকে, ইয়াকে হে বুজিব লাগে যে, সৰ্ব্বধৰ্ম্ম পৰিত্যাগ কৰিলেও যি পাপ হব পাৰে, ভগৱানৰ শৰণাগত হলে তেনে পাপৰো প্ৰায়শ্চিত্ত হয়।

—শ্ৰীধৰস্বামীকৃত টীকা।

(৬) সৰ্ব্বধৰ্ম্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বা সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ॥

গীতা, ১৮শ আধ্যা, ৬৬ শ্লোক।

(৭) কিয়নো, বিনা তপস্যাত গীতাৰ উপদেশ ধাৰণা কৰিবলৈ শক্তি নোপজে, ভক্তিবিনে গীতোপদেশ গ্ৰহণ বা শ্ৰৱণলৈ প্ৰবৃত্তি নজন্মে, গুৰুশুশ্ৰূষা নহলে গীতাৰ মৰ্ম্মাৰ্থ লাভৰ সম্ভাৱনা নাই। ঈশ্বৰত অসূয়া ত্যাগ নকৰিলে গীতাৰ সাৰতত্ত্ব ব্ৰহ্মানন্দ উপলব্ধি নহয়।

—কৃষ্ণানন্দস্বামীকৃত গীতাসন্দীপনী।

(৮) গীতা, ১৮শ আধ্যা, ৬৩—৭১ শ্লোক।

(৯) গীতা, ১৮ আধ্যা, ৭২—৭৩ শ্লোক।

শ্ৰীকৃষ্ণৰ গীতাশাস্ত্ৰ ব্যাখ্যাৰ উদ্দেশ্য সিদ্ধি হোৱাত[১], পাণ্ডৱ কেশৰী ধনুৰ্দ্ধৰ ধনঞ্জয়ৰে সৈতে পৰম উলাহেৰে তেওঁ পাণ্ডৱ শিবিৰৰ মুখে পুনৰপি ৰথ চলাই দিলে। কৃষ্ণাৰ্জ্জুনৰ পুনৰপি শিবিৰ প্ৰৱেশত পাণ্ডৱবাহিনীৰ প্ৰাণত আনন্দ-উলাহে নধৰা হল।

সদৌশেহত, সৰ্ব্বজ্ঞস্বৰূপ সঞ্জয় মন্ত্ৰীযে ধৃতৰাষ্ট্ৰ ৰজাৰ আগত কুৰুক্ষেত্ৰ মহাৰণৰ আয়োজনৰ বৰ্ণনা দিয়া প্ৰসঙ্গত এই অদ্ভুত কৃষ্ণাৰ্জ্জুন-সম্বাদ বৰ্ণনা কৰি, এই বুলি মন্তব্য প্ৰকাশ কৰিলে, "হে মহাৰাজ! ভগৱান বাসুদেৱ আৰু মহাবাহু অৰ্জ্জুনৰ মাজত হোৱা ৰোমাঞ্চক যোগতত্ত্বৰ ব্যাখ্যা শুনি আচৰিত হলোঁ। যি শক্তিৰে মই আপোনাক কুৰুক্ষেত্ৰ মহাৰণৰ বিষয়ে দাঁড়ৰ বাতৰি দাঁড়ে দি আহিছোঁ, সেই শক্তিৰ প্ৰভাবেৰেই কৃষ্ণাৰ্জ্জুনৰ মাজত হোৱা গুহ্যতম যোগতত্ত্ব মই হুবহু শুনি চৰিতাৰ্থ হলোঁ। হে মহাৰাজ! সেই অদ্ভুত কথোপকথন মই সুমৰি যাওঁতে মোৰ অন্তৰ আনন্দত পুলকিত হয়।[২] হে ৰাজন্! শ্ৰীকৃষ্ণাৰ্জ্জুনৰ সেই বিশ্বৰূপ ধাৰণৰ বিষয়ে মই যিমানেই সুমৰি চাইছোঁ, সিমানেই মোৰ প্ৰাণত বিস্ময় জন্মিছে, সিমানেই মই আনন্দত আপোন-পাহৰা হৈছোঁ।[৩] হে মহাৰাজ! যি পক্ষত স্বয়ং যোগেশ্বৰ ভগৱান শ্ৰীকৃষ্ণ সৰ্ব্বসাৰথি, যি পক্ষত গাণ্ডীৱধাৰী বীৰকেশৰী অৰ্জ্জুন বৰ্ত্তমান, সেই পক্ষৰেই যে ৰাজশ্ৰী, বিজয়, ভূতি আৰু নীতি আশ্ৰয় হব, আৰু সদৌশেহত সেই পক্ষেই যে কুৰুক্ষেত্ৰ মহাৰণত জয়লাভ কৰিবগৈ তাত সংশয় নাই।[৪]

ত্ৰিংশ আধ্যা

কুৰুক্ষেত্ৰ মহাৰণৰ আৰম্ভণ

পাণ্ডৱ-সাৰথি শ্ৰীকৃষ্ণদেৱৰ উপদেশ অনুসৰি, ধৰ্ম্মৰাজ যুধিষ্ঠিৰে কুৰুক্ষেত্ৰ ৰণস্থলত অৱতীৰ্ণ হৈয়েই যথাবিধি ৰণ ঘোষণা কৰি দিলেগৈ। তাৰ লগে-লগেই সেই মহাৰণ আৰম্ভণৰ স্থিতি বিধি আৰু দিন ক্ষণ নিৰ্দ্ধাৰণ পৰ্য্যন্ত ৰাষ্ট্ৰ কৰি দিয়া হল। সেই অনুক্ৰমেই কৌৰৱ আৰু পাণ্ডৱ দুয়োপক্ষ নিৰ্দ্ধাৰিত নিয়মে অৱস্থিত হলগৈ। পাণ্ডৱে পূবমুৱাকৈ আৰু কৌৰৱে পছিমমুৱাকৈ ৰণৰ থানিকা পাতি ললেগৈ। যুদ্ধাৰম্ভণৰ নিৰ্দ্ধাৰিত দিনা উপজি পুৱাতে উঠি দুয়োপক্ষৰে ঘাই ঘাই সেনাপতিসকলে পোন্-প্ৰথমে নিজ নিজ থানিকাৰ খোপনি দৃঢ় কৰাৰ উদ্দেশ্যে যুগুত দিহাকৰণত মনোনিবেশ কৰিলে। তাৰ পাচত, দুৱলীয়া সেনাপতিবৰ্গে নিজ নিজ নিৰূপিত থানিকাত খোপনি পিটি লৈ নিজ নিজ অধীনস্থ সেনা সেনানায়কসকলৰ গতি-বিধিৰ দিহা দিয়াত তৎপৰ হৈ বেগাবেগিকৈ ইফাল-সিফাল কৰিবলৈ ধৰিলে। চাওঁতে চাওঁতে দুয়োপক্ষৰ অগণন সেনাগণ নিজ নিজ ৰণসজ্জাৰে সুসজ্জিত হৈ ৰণ-অভিমুখে শাৰী শাৰীকৈ সাজু হল। যথা যথা স্থানৰপৰা সঙ্কেত প্ৰচাৰ হোৱা মাত্ৰকে দুয়োপক্ষৰ স্বকীয়া স্বকীয়া শিবিৰত স্বকীয়া স্বকীয়াকৈ জয়ঢোল, ডবা, ঘণ্টা, শঙ্খ আদি ৰণবাদ্য বাজি উঠিল,—লগে লগে ৰণক্ষেত্ৰৰ পূবপ্ৰান্তৰপৰা এঘাৰ অক্ষৌহিণী আৰু পছিম প্ৰান্তৰপৰা সাত অক্ষৌহিণী সেনা সমবেত হোৱাত, ১৮ অক্ষৌহিণী ৰণুৱাই অৰিয়া-অৰিকৈ তোলা সম্মিলিত কণ্ঠৰ জয়ধ্বনিয়ে আকাশমণ্ডল প্ৰতিধ্বনিত

---

(১) সাংসাৰিক মায়া-মোহ ভঙ্গ কৰি, নিবৃত্ত অৰ্জ্জুনক যুদ্ধত প্ৰবৃত্ত কৰাটোৱেই গীতাশাস্ত্ৰ ব্যাখ্যাৰ মুখ্য উদ্দেশ্য আছিল। অথবা, সেই উদ্দেশ্যেই কৃষ্ণধৰ্ম্মশাস্ত্ৰ গীতাৰ সৃষ্টি হয়। এতিয়া, অৰ্জ্জুন যুদ্ধত প্ৰবৃত্ত হবলৈ প্ৰতিশ্ৰুত হোৱাত, সেই উদ্দেশ্য সিদ্ধি বা সাফল্য হৈছে।

(২) গুহ্যাতিগুহ্য গীতাশাস্ত্ৰ ভগৱান শ্ৰীকৃষ্ণই পৰমভক্ত শিষ্য অৰ্জ্জুনৰ আগত মাথোন ব্যাখ্যা কৰিছিল; সেই পৰম ছেগতে সঞ্জয়েও সৌভাগ্যক্ৰমে স্বয়ং যোগেশ্বৰৰ মুখে সেই যোগতত্ত্ব ব্যাখ্যা শ্ৰৱণ কৰি পৰম পুলকিত বোধ কৰিছিল।

(৩) গীতা, ১৮শ আধ্যা, ৭৪—৭৭ শ্লোক।

(৪) যত্ৰ যোগেশ্বৰঃ কৃষ্ণো যত্ৰ পাৰ্থো ধনুৰ্দ্ধৰঃ।
তত্ৰ শ্ৰীৰ্বিজয়ো ভূতিৰ্ধ্ৰুবা নীতিৰ্ম্মতিৰ্ম্মম
—গীতা, ১৮ আধ্যা, ৭৮ শ্লোক।

কৰি মেদিনী কঁপাবলৈ ধৰিলে।* তাৰ পাচত, কৌৰৱ, পাণ্ডৱ আৰু পাঞ্চাল ৰাজক্ষমতাৰ ঘাই ঘাই প্ৰতিনিধিসকল সমুখা-সমুখিকৈ আহি ৰণক্ষেত্ৰৰ মধ্যস্থলত সমবেত হলহি। উদ্দেশ্য, ৰণ আৰম্ভ কৰাৰ আগতে, ৰণ কৰাৰ ৰীতি-নীতি, নিয়ম-কাৰণ, বিধি-ব্যৱস্থাৰ হেতু বান্ধি লোৱা; উদ্দেশ্য, যাতে যুদ্ধ নিৰ্দোষভাৱে ধৰ্ম্মযুদ্ধ হয়; উদ্দেশ্য, যাতে যুদ্ধত জয়-পৰাজয় ধৰ্ম্মতঃ সাধিত হয়। অধৰ্ম্মৰ পৰাক্ৰমে যাতে পৰশিবলৈ নাপায়; তদৰ্থে কিছুমান লাগতিয়াল হেতুবন্ধনৰ জপনা দি লৈ, উভয় পক্ষৰ সন্মতিক্ৰমে তাক গ্ৰহণ কৰা হয়।† যেয়ে বা যি পক্ষই সেই জপনা ডেই যাব, সেয়ে বা সেই পক্ষই বিনাযুদ্ধে পৰাভূত বিবেচিত হব। সেই সেতু-বন্ধনৰ ঘাই ঘাই কেইটামান এই:—(১) যুদ্ধ সমানে সমানে পাতিব লাগিব; (২) যি বাক্যুদ্ধেৰে আগ বাঢ়ে, তেওঁৰে সৈতে বাক্যুদ্ধহে পাতিব লাগিব; (৩) যি ৰণভঙ্গ দিয়ে, অৰ্থাৎ প্ৰাণৰ মমতাত পলাই যায়, তাক কাচিতো বধ কৰা নহব; (৪) ৰথীয়ে ৰথীৰ লগত হে ৰণ দিব; (৫) অশ্বাৰোহীয়ে অশ্বাৰোহীৰ লগত, পদাতিকে পদাতিকৰ লগত হে ৰণ পাতিব পাৰিব; (৬) যোগ্যতা, সাহ, ইচ্ছা, বল, ইত্যাদি বুজি এজনে আনজনক যুঁজলৈ আহ্বান কৰি লৈ হে মল্লযুদ্ধত ধৰিব লাগিব; (৭) ৰণত যাৰ আতঙ্ক উপস্থিত হয়, তাক কদাপি ৰণাঘাত কৰিব নোৱাৰিব; (৮) যি শৰণাগত, যি ৰণত পিঠি দেখুৱায়, যি অন্য কোনোৰে সৈতে ৰণত লাগি থাকে, যি নিৰস্ত্ৰ, তেনে ৰণুৱাক কেতিয়াও অপঘাত কৰিব নোৱাৰিব; (৯) সাৰথি, জন্তুবাহন, অস্ত্ৰবাহক, বাদ্যকাৰ, শঙ্খদাৰ‡ ইত্যাদিত অস্ত্ৰ প্ৰহাৰ কৰিব নোৱাৰিব।§

ৰণ আৰম্ভ কৰা হল। দুয়োপক্ষৰ ৰণবল পূবা-পছিমা সমুখা-সমুখিকৈ উত্ৰাৱল বাঘৰ দৰে খাওঁ-খাওঁ মূৰ্ত্তিৰে ইপক্ষে সিপক্ষৰ ওপৰত, সিপক্ষে ইপক্ষৰ ওপৰত পৰোঁ-পৰোঁ। সেই উদ্বিগ্নতাৰ ক্ষণত জিলিকি উঠা ৰণৰ আৱেশ সঞ্জয় মন্ত্ৰীয়ে অন্ধৰাজ ধৃতৰাষ্ট্ৰক এই বুলি বৰ্ণনা কৰিছিল, "হে মহাৰাজ! এই কুৰুক্ষেত্ৰ মহাৰণৰ আৰম্ভণৰ ৰূপ অতি ভয়াবহ, অতি ৰোমাঞ্চক, অতি উদ্দীপক। দুয়োপক্ষৰ ৰণুৱাবৰ্গক সমানে শুৱনি দেখা গৈছে; দুয়োদল যেন বসন্তৰ কুঁহিপাত ধৰা গছ-গছনিৰে সৈতে দুখন নৱপল্লবিত বন হে! দুয়োদল সমানে সাহসী, সমানে উত্তেজিত আৰু কেৱেঁ কাকো সহিব নোৱাৰিব যেন লাগিছে। দুয়োদলে যেন ত্ৰিভুৱন বিজয়ী হোৱাৰ উদ্দেশে কঁকালত টঙ্গালি বান্ধি সাজু হৈছে। ঠিক যেন সুৰাসুৰৰ ৰণ লাগোঁ লাগোঁ হৈছে। কৌৰৱ পক্ষ অসুৰ সেনাদল আৰু পাণ্ডৱ পক্ষ সুৰ সেনাদল যেন হৈ জিলিকিছে। পাণ্ডৱ পক্ষৰ পিচৰপৰা মৃদু সমীৰণ ব'ব লাগিছে; আৰু কুৰুপক্ষৰ পিচৰপৰা জন্তুৰ বেবনি-টেঁটনিৰ ৰাৱ উঠিছে। হে মহাৰাজ! আপোনাৰ পুত্ৰ-সকলৰ পক্ষীয় ৰণ-হস্তীয়ে পাণ্ডৱপক্ষৰ প্ৰকাণ্ড আৰু তেজী ৰণ-হস্তীৰ তাপ উদ্দীৰণৰ প্ৰভাৱ সহিব নোৱাৰি অস্থিৰ হোৱা যেন দেখা গৈছে। এই অনুক্ৰমে কৌৰৱপক্ষ পছিমমূৱাকৈ আৰু পাণ্ডৱপক্ষ পূবমূৱাকৈ খাওঁ খাওঁকৈ সাজু হৈছে।"[১]

ইতিমধ্যত, ৰণ আৰম্ভণৰ আগদিনা, কৌৰৱ শিবিৰত ৰণসভা পাতি যথাবিধি ভীষ্মদেৱক সৰ্ব্বপ্ৰধানকৈ ঘাই-সেনাপতিত্বত বৰণ কৰা হয়, আৰু ভীষ্মদেৱেও দহ দিনৰ কাৰণে[২] সৰ্ব্বনেতৃত্বৰ বাব গ্ৰহণ কৰি ৰাজভক্তিৰ বিশ্বাসেৰে কৰ্ত্তব্য পালন কৰিবলৈ অঙ্গীকাৰ কৰে। আৰু, অপৰ-পক্ষতো ভগৱান শ্ৰীকৃষ্ণৰ নিৰ্দ্দেশমতে ইতিপূৰ্ব্বতে নিৰ্দ্ধাৰিত

---

* মহাভাৰত, ভীষ্মপৰ্ব্ব, ১ম আধ্যা, ২০—২৫ শ্লোক।

† কোৱা বাহুল্য মাথোন যে, ইয়াৰ মূলত ৰাজনৈতিক বিৰাটপুৰুষৰ অদ্ভুত কৌশলী অদ্বিতীয় ৰণপণ্ডিত ধৰ্ম্মৰাজ্য প্ৰতিষ্ঠাতা ভগৱান শ্ৰীকৃষ্ণ।

‡ আদেশ আৰু বাৰ্ত্তাপ্ৰচাৰ তেতিয়া শঙ্খবাদ্যৰ দ্বাৰাই হৈছিল।

§ মহাভাৰত, ভীষ্মপৰ্ব্ব, ১ম আধ্যা, ২৬—৩২ শ্লোক।

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, ২০শ আধ্যা, ১—৬ শ্লোক।

(২) দ্ৰোণ আৰু কৰ্ণ হেন দুজন অসাধাৰণ বীৰ বৰ্ত্তমান থকাত, মহাজ্ঞানী উদাৰচেতা মহাপুৰুষ ভীষ্মদেৱে সৰ্ব্বপ্ৰধান সেনাপতি-বাবৰ গৌৰৱ এদনীয়াকৈ উপভোগ কৰিবলৈ অমান্তি হৈ, প্ৰথম দহ দিনৰ কাৰণে মাথোন সেই বাব গ্ৰহণ কৰে।

হৈ থকা দিহা অনুসাৰে সৰ্ব্বপ্ৰধান ঘাই সেনাপতি পাঞ্চাল ৰাজকোঁৱৰ মহাৰথ ধৃষ্টদ্যুম্নক পাণ্ডৱ শিবিৰত ৰণৰীতি-নীতিমূলক উৎসৱৰে সৈতে বৰণ কৰা হয়।[১]

ৰণ আৰম্ভণৰ নিৰ্দ্ধাৰিত দিনা সবাতকৈ আগেয়ে সবাতোপৰি বয়োজ্ঞানবৃদ্ধ পিতামহ ভীষ্মই নিজৰ নিৰূপিত সৈনিক সাজেৰে সুসজ্জিত হৈ কৌৰৱ শিবিৰত ঘাই আৰু পালি সেনাপতি সকলক নিজ নিজ অধীনৰ সৈন্য-সামন্তৰে সৈতে যথাযোগ্যৰূপে শাৰী-শাৰীকৈ আৰু অগা-পিচাকৈ সজোৱাত তৎপৰ হল। তেওঁৰ দিহামতে কৌৰৱপক্ষীয় সেনাপতি সকলো পৰম উলাহেৰে আক্ৰমণ সাপেক্ষে সাজু হল।[২]

পাণ্ডৱ শিবিৰতো বিচক্ষণীয়া ৰণপণ্ডিত শ্ৰীকৃষ্ণৰ সাংকেতিক দিহা অনুসৰি সৰ্ব্বঘাই সেনাপতি মহাৰথ ধৃষ্টদ্যুম্ন আৰু তৰলীয়া ঘাই সেনাপতি মহাবাহু ভীমসেনে সিবিলাকৰ অধীনস্থ সেনা-সেনাপতি আৰু বিবিধ ৰণবল নিয়াৰিকৈ নিয়োজন কৰিলে। সেই দিহাকৰণ অনুসাৰে প্ৰতিজন সেনাপতিক শত শত ৰথাৰোহী ৰণুৱাই পিচৰপৰা যোগ দিববলৈ স্থিৰ হয়, সেই অনুক্ৰমেই প্ৰতি ৰথাৰোহীক হাজাৰ-হাজাৰ অশ্বাৰোহী আৰু হস্তী-আৰোহীয়ে সহায় কৰিববলৈ স্থিৰ হয়; আৰু সিবিলাকৰ আগে-পিচে সোঁৱে-বাঁৱে লাখ-লাখ পদাতিক ৰণোন্মত্ত হৈ সাজু হল।[৩]

ৰণৰ আৰম্ভণ ঘোষণা কৰা হৈ গল। সমুখা-সমুখি পক্ষাপক্ষৰ ইদল সিদলৰ ওপৰত, সিদল ইদলৰ ওপৰত পৰো-পৰো হল। কৌৰৱপক্ষৰ অগণন সেনা-সেনাপতি, হয়-হস্তী, ৰথ-ৰথীৰ সৰ্ব্বাগ্ৰত সৰ্ব্বাগ্ৰগণ্য প্ৰকাণ্ড বীৰ পুৰুষ মহামতি ভীষ্মদেৱে ভীষণ ৰণসাজেৰে সুসজ্জিত হৈ ক্ৰমাৎ অগ্ৰসৰ হববলৈ ধৰিলে। শিৰত শুভ্ৰ পাগুৰি, সোঁ-বাহুপীঠত শুভ্ৰ আৱৰণৰ তীক্ষ্ণ শৰকোষ বাহুপাশত শুভ্ৰ জ্যাযোজিত শুভ্ৰ ভীষণ ধনু, কঁকালত শুভ্ৰ কোষস্থিত তীক্ষ্ণ তৰোৱাল, ওপৰত সুপ্ৰকাণ্ড শুভ্ৰছত্ৰেৰে সুশোভিত হৈ, শুভ্ৰ অশ্ব সংযোজিত শুভ্ৰ ৰথত চৰি এটি শুভ্ৰগিৰি সদৃশ্ প্ৰকাণ্ড পুৰুষ ভীষ্মদেৱ কৌৰৱ সেনানায়কৰূপে ক্ৰমাৎ অগ্ৰসৰ হল। ভীষ্মদেৱৰ পিচত মহা অভিমানী মহাবাহু দুৰ্য্যোধন মনোমত ৰণ সাজেৰে সজ্জিত হৈ বগা হাতীৰ পিঠিত বহল বগা ছাতিলগোৱা সোণালী হাওদাৰ ওপৰত বহি কৌৰৱ-সেনাৰ মাজভাগত জিলিকি আগ বাঢ়িল। তেওঁৰ পিচত অসংখ্যাত পৰ্ব্বতীয়া সৈন্য-সামন্তৰে সৈতে গান্ধাৰ-ৰাজ শকুনিয়ে গা-চোৰাৰূপে পিচ ধৰিলে। সেই অনুক্ৰমে আশে-পাশে ভাগে-ভাগে নিৰ্দ্ধাৰিত সৈন্য-সেনাপতিসকলে ৰণকেন্দ্ৰলৈ খোজ ললে। সৰ্ব্বমূলত ৰঙা সাজ-সমলেৰে সজ্জিত হৈ, ৰঙা ঘোঁৰা লগোৱা ৰঙা ৰথত চৰি সৰ্ব্বৰাজৰ অস্ত্ৰগুৰু মহাতেজী দ্ৰোণাচাৰ্য্যই গুৰিধৰা হৈ গজেন্দ্ৰ গমনেৰে আগ বাঢ়িলে।

কৃষ্ণদত্ত যাদৱবাহিনীৰ বচা বচা বৃষ্ণি আৰু ভোজৰথী-সকলৰ দ্বাৰাই সুৰক্ষিত অসংখ্যাত সৈন্য-সামন্তৰ নায়ক হৈ কৃতবৰ্ম্মা সেনাপতিয়ে কৌৰৱ পক্ষীয় সেনাদলৰ দক্ষিণে ৰক্ষক স্বৰূপে আগ বাঢ়িলে, আনহাতে, সংসপ্তক ৰথাৰোহীৰে পৰিবেষ্টিত হৈ অৰ্জ্জুনৰ অনুৱৰ্ত্তী ত্ৰিগৰ্ত্ত সেনাপতিয়ে "হয় ৰণজয়, নহয় আত্মক্ষয়" এই দৃঢ় সংকল্পেৰে কৰ্ত্তব্য পালনলৈ ধীৰ গতি কৰিলে।[৪]

ইতি-অৱসৰত সঞ্জয় মন্ত্ৰীয়ে অন্ধৰাজ ধৃতৰাষ্ট্ৰক তেওঁৰ পক্ষীয় সৈন্যবল সজোৱাৰ বিষয়ে পুনৰপি এই বুলি বৰ্ণাববলৈ ধৰিলে, "হে মহাৰাজ! আপোনাৰ পক্ষীয় ৰণবল ঘাই-সেনাপতি ভীষ্মদেৱে সম্প্ৰতি এইদৰে সাজু কৰিছে;— একলাখ ৰণহস্তী আগ কৰি, প্ৰতি হস্তীৰ ভাগত এশকৈ ৰথাৰোহী, প্ৰতি ৰথৰ সাহাযাত এশকৈ অশ্বাৰোহী, প্ৰতি অশ্বাৰোহীৰ লগত দহজনকৈ ধনুধাৰী, প্ৰতি ধনুধাৰীৰ লগত দহজনকৈ ঢালধাৰী। ভীষ্মদেৱে নিতে নতুন ধৰণেৰে ব্যূহ ৰচনা কৰিববলৈ আয়োজনত ধৰিছে, এদিন মানৱ ব্যূহ, এদিন দৈৱ ব্যূহ, এদিন গান্ধৰ্ব্ব ব্যূহ, এদিন অসুৰ ব্যূহ এই অনুক্ৰমে ব্যূহ ৰচনা কৌশলেৰে শত্ৰুপক্ষক বিমোৰ কৰিববলৈ যুক্তি কৰিছে। এতিয়ালৈকে আপোনাৰ পক্ষ

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, ২০শ আধ্যা, ৭--৯ শ্লোক।
(২) মহাভাৰত, ভীষ্মপৰ্ব্ব, ২০শ আধ্যা, ১০—১২ শ্লোক।
(৩) মহাভাৰত, ভীষ্মপৰ্ব্ব, ২০শ আধ্যা, ১৩—১৪ শ্লোক।
(৪) মহাভাৰত, ২৫শ আধ্যা, ১৫—১৮ শ্লোক।

ভয়াবহ যেন বোধ হৈছে; কিন্তু অৰ্জ্জুনৰ সাৰথি স্বৰূপে অদ্বিতীয় ৰণপণ্ডিত স্বয়ং ভগৱান শ্ৰীকৃষ্ণই প্ৰকৃততে নেতৃত্ব লোৱা হেতুকে পাণ্ডৱ ৰণবল অতি পৰাক্ৰমী আৰু অজেয় বিবেচিত হৈছে।[১] দেৱসেনাপতি কাৰ্ত্তিকেয়ৰ দৰে সবাতোকৈ আগশাৰীত মহাবাহু ভীমসেনৰ সাহায্যেৰে ঘাই সেনাপতি মহাৰথ ধৃষ্টদ্যুম্নই পাণ্ডৱ বাহিনীক ক্ৰমাৎ আগ বঢ়াইছে; দক্ষিণ পাশৰ পাণ্ডৱ শাখাবাহিনী অমিততেজী বীৰ সৈন্যদলৰ অধ্যক্ষ হৈ সুনিপুণ যোদ্ধা যুযুধনে ৰক্ষা কৰি গৈছে; উত্তৰ পাশে হস্তী-আৰোহীদলৰ মাজত ইন্দ্ৰৰ ঐৰাৱত সদৃশ্ মহাকায় সুসজ্জিত হস্তীৰ ওপৰত যুদ্ধকৰ্ত্তা স্বয়ং ধৰ্ম্মৰাজ যুধিষ্ঠিৰ জিলিকিব লাগিছে, সবাতো পিচৰ শাৰীত পাঞ্চাল আৰু বিবিধ অশ্বাৰোহী ৰণুৱাৰ অধ্যক্ষ হৈ মহাৰথ সাত্যকিয়ে গুৰি ধৰি আগুৱাইছে, কেন্দ্ৰস্থলত সসৈন্যে মহাৰথ শিখণ্ডীক[২] লৈ, ৰথী আৰু সাৰথিৰূপে মহা-বীৰ্য্যৱন্ত কৃষ্ণাৰ্জ্জুন দীপ্তিমান হৈ চলিছে।[৩]

"পাণ্ডৱ বাহিনীৰ মাজত অৰ্জ্জুনৰ ৰথ সূৰ্য্যৱত উজ্জ্বল হৈ প্ৰকাশ পাইছে। সুদৃঢ় বিতোপন চকৰি লগোৱা হনুমন্ত অঙ্কিত[৪] পতাকা উৰা এই বিচক্ষণীয়া সোণালী ৰথৰ স্বৰূপ গঠনাদি বৰ্ণনাতীত। স্বয়ং কেশৱ যি ৰথৰ সাৰথি, সেই ৰথৰ ৰথী হৈছে গাণ্ডীৱধাৰী মহাবাহু অৰ্জ্জুন, যাৰ সমান ধনুৰ্দ্ধাৰী পৃথিবীত নাই আৰু নহব, যাৰ ভীষণ মূৰ্ত্তি দেখিলে হৃৎকম্প উপস্থিত হয়, যি ৰিক্তহস্তেৰে মানুহ, ঘোঁৰা, হাতী আদি মোহাৰি মথিমূৰ কৰিব পাৰে, সেই মহাবাহু ভীমসেন সোঁৱে-বাঁৱে নকুল-সহদেৱক লৈ ৰথ-বাহিনীৰ ৰক্ষক হৈ বিদ্যমান,—যি অজেয় যম যেন ভয়ঙ্কৰ বৃকোদৰৰ আস্ফালনত আতঙ্কিত হৈ, হে মহাৰাজ, আপোনাৰ পুত্ৰপক্ষীয় সৈন্যবৰ্গ বোকাত পৰা হাতীৰ দৰে কঁপিব লাগিছে।"

"চাওঁতে-চাওঁতে সিপক্ষে আহি ইপক্ষৰ ওপৰত, আৰু ইপক্ষে গৈ সিপক্ষৰ ওপৰত সিংহ-গৰ্জ্জনেৰে আক্ৰমণ বহুৱাইছে। উভয়তঃ তুমুল সংগ্ৰাম লাগি উঠিছে। কাকো কেৰেঁ চিনিব নোৱাৰা হৈছে। ৰণমদত উন্মত্ত হৈ আপোন-পৰ ভেদাভেদলৈ লক্ষ্য নাৰাখি কুৰু-পাণ্ডৱৰ আত্মীয়-কুটুম্বৰ মাজত কালান্তক যুদ্ধ লাগি উঠিছে। নিলগৰপৰা কৌৰৱ আৰু পাণ্ডৱ সেনানীৰ চিন্ ধৰিব নোৱাৰা হৈছে; মাথোন সবাৰো মাজত প্ৰকাণ্ড মূৰ্ত্তি এক ভীষ্মদেৱ এপক্ষত, আৰু সাৰথিৰ বাঘজৰী ধৰোঁতা শাৰ্ঙ্গ-ধাৰী জগন্মোহন শ্ৰীকৃষ্ণ মূৰ্ত্তি সমন্বিতে গাণ্ডীৱধাৰী মহাৰথ অৰ্জ্জুন আনপক্ষত জিলিকিব লাগিছে।"

"সমূহ হৈচাৰ হেন্দোলনিৰ মাজত, হে মহাৰাজ! আপোনাৰ পুত্ৰসমূহে মহাবাহু ভীমসেনক কেইওফালৰপৰা আগুৰি ধৰি অসংখ্যাত কাঁড়েৰে বিন্ধি ঠকাসৰকা কৰিবলৈ চাইছে, কিন্তু দুৰ্জ্জয় বীৰ বৃকোদৰে তালৈ কটাহি নকৰি গদা-ঘূৰণেৰে অসংখ্য তীক্ষ্ণ শৰ ওকৰাই পঠিয়াই কৌৰৱ ৰণুৱাক গদাঘাতেৰে মথিমূৰ কৰিব লাগিছে। এনেতে, দ্ৰৌপদীনন্দনগণ আৰু সুভদ্ৰানন্দন অভিমন্যুৱে সৈতে নকুল, সহদেৱ, ধৃষ্টদ্যুম্ন প্ৰভৃতি কেইওফালৰপৰা আহি ভীমসেনৰ সাহায্যত উবুৰি খাই পৰি, আপোনাৰ পুত্ৰগণক পৰ্ব্বতৰ টিং ওকৰোৱাদি ওকৰাই পঠিয়াইছে। দুয়োপক্ষৰ ডবা, ঘণ্টা, শিঙা, শঙ্খ, জয়ঢোল আদি ৰণবাদ্যৰ সানমিহলি সুৰ, আৰু হাতী, ঘোঁৰা আদি ৰণবাহনৰ ভীষণ আৰাৱ সকলো একাকাৰ হৈ এটা অতি ৰোমাঞ্চক বিকট ৰাৱ ৰণকেন্দ্ৰৰপৰা উঠি গোটেই গগন নিনাদিত কৰিছে, আৰু

---

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, ২৫শ আধ্যা, ১৯—২০ শ্লোক।

(২) শিখণ্ডী পাঞ্চালৰ অধিপতি দ্ৰুপদ ৰজাৰ অন্যতম পুত্ৰ। কথিত আছে, এওঁ বোলে নপুংসক। ভীষ্মাৰ্জ্জুনৰ শেহযুদ্ধত এই শিখণ্ডীয়ে দেখা দিয়াত ভীষ্মদেৱে শৰত্যাগ কৰিলে বুলি কল্পিত আছে। কিন্তু, সেই কল্পনাক দিঠকৰ সাজ পিন্ধাবলৈ গলে ভীষ্মৰ শৰশয্যা পাতিবলৈ স্থান নোহোৱা হৈ পৰে।

(৩) মহাভাৰত, ভীষ্মপৰ্ব্ব, ৪২শ আধ্যা, ৩-৫ শ্লোক।

(৪) অৰ্জ্জুনৰ ৰথৰ চূড়াত হনুমন্ত অঙ্কিত পতাকা সততে ধ্বজা স্বৰূপে উৰে। এই পতাকা অৰ্জ্জুনৰ ৰথৰ নিদৰ্শন।

(৫) মহাভাৰত, ভীষ্মপৰ্ব্ব, ৪২শ আধ্যা, ৭—১৩ শ্লোক।

যোদ্ধাবৰ্গৰ আস্ফালন আৰু দপনিত মেদিনী কঁপিব লাগিছে।[১]

"সেই ছেগতে শান্তনুতনয় মহাকায় মহাবাহু ভীষ্মদেৱে বজ্ৰাস্ত্ৰ যেন ভীষণ অস্ত্ৰ যোজনা কৰি প্ৰবল বেগেৰে গৈ তেওঁৰ সমকক্ষ পাণ্ডৱ ধনুৰ্দ্ধাৰী অৰ্জ্জুনক আক্ৰমণ কৰিছেগৈ। মহাতেজী অজেয় ধনঞ্জয় অৰ্জ্জুনেও সুতীক্ষ্ণ বৈষ্ণৱী অস্ত্ৰ যোজনা কৰি সুপ্ৰখ্যাত দুৰ্জ্জয় গাণ্ডীৱ ধনুৰে সৈতে উলটি ধৰিছে। হে মহাৰাজ! সৌৱা, এই দুজন অসামান্য বীৰৰ দ্বৈৰথ ৰণৰ আস্ফালন-দপনিত ধৰাতল ৰসাতললৈ যাওঁ যাওঁ হৈছে। মাথোন, সৃষ্টিৰক্ষক স্বয়ং ভগৱন্ত স্বৰূপ সাৰথি শ্ৰীকৃষ্ণৰ পৰমানন্দ মূৰতিয়ে আসন্ন সময়ত আশ্বাস দান কৰিছে। এই দ্বৈৰথ ৰণত কেৱেঁ কাকো হটাব পৰা নাই।"

আন হাতে, শ্ৰীকৃষ্ণৰ সেনাপতি প্ৰখ্যাত ধনুৰ্দ্ধাৰী সাত্যকিয়ে বিষম বিক্ৰমেৰে কৌৰৱৰ নায়ক অসামান্য ধনুৰ্দ্ধৰ কৃতবৰ্ম্মাক আক্ৰমণ কৰিছেগৈ। এই দুজন সমযোদ্ধাৰ তয়াময়া যুদ্ধত ৰণভূমি টলবলাব লাগিছে। কেৱেঁ কাকো পৰাস্ত কৰিব পৰা নাই, কিন্তু পৰস্পৰ শৰবিদ্ধ হৈ দুয়ো তেজেৰে ৰাঙলী দুজুপি বসন্তকালৰ প্ৰফুল্ল কিংশুক ফুলৰ নিচিনাকৈ শোভা পাইছে!"

"সমযোদ্ধা বাছি লৈ একে সময়তে আজন্ম অদ্ভুত বীৰ সুভদ্ৰানন্দন অভিমন্যুৱে কোশলাধিপতি বৃহৎবল বাঘৰ ওপৰত সিংহৰ পোৱালি পৰাদি পৰিছেগৈ। হে মহাৰাজ! মহাবল কোশল ৰাজে অভিমন্যুৰ সাৰথিক ৰথচ্যুত কৰি তেওঁক মহাসঙ্কটত পেলাইছিল, কিন্তু অদ্ভুত ৰণকৌশলী অভিমন্যুৱে অকলশৰেই মহাবীৰ বৃহৎবলক ৰণত বিচেষ্টা কৰিব লাগিছে।"

"যুদ্ধকৰ্ত্তা ধৰ্ম্মৰাজ যুধিষ্ঠিৰে স্বয়ং তেওঁৰ সমনীয়া মদ্ৰৰাজৰে সৈতে তুমুল সংগ্ৰাম পাতিছে। দুয়ো ধীৰ আৰু স্থিৰ যোদ্ধা। মদ্ৰৰাজে এবাৰ ছেগ চাই তেওঁৰ প্ৰতিদ্বন্দ্বীৰ হাতৰ ধনু কাটি খণ্ড খণ্ড কৰি পেলাইছিল; কিন্তু যুধিষ্ঠিৰে ততালিকে আন এখন কোবাল ধনুত শৰ যোজনা কৰি মদ্ৰৰাজৰ ওপৰত শৰ-বৃষ্টি বৰষি তেওঁক অস্থিৰ কৰি পেলাইছে।"

"একে সময়তে পাণ্ডৱ বাহিনীৰ ঘাইনেতা মহাবাহু ধৃষ্টদ্যুম্নই কৌৰৱ বাহিনীৰ গুৰি ধৰোঁতা ৰাজগুৰু দ্ৰোণাচাৰ্য্যক বিষম আক্ৰোশেৰে আক্ৰমণ কৰিছেগৈ। আচাৰ্য্যদেৱে ততালিকে অভিমানী পাঞ্চাল ৰাজ কোঁৱৰৰ হাতৰ ধনু তীক্ষ্ণ অস্ত্ৰেৰে কাটি খণ্ড খণ্ড কৰি এপাট কালান্তক শৰেৰে কোঁৱৰক শালি পেলাইছিল; কিন্তু মহাবীৰ্য্যৱন্ত দ্ৰুপদনন্দন ধৃষ্টদ্যুম্নই তালৈ কটাহি নকৰি, চৈধ্য জাতীয়া এপাট শৰেৰে দ্ৰোণাচাৰ্য্যকো বিদ্ধ কৰিলে। হে মহাৰাজ! দুয়ো সৌৱা দুটা উন্মত্ত ষাঁড়ৰ দৰে যুঁজিব লাগিছে!"

সঞ্জয় মন্ত্ৰীয়ে যথাস্থানৰপৰা দিব্যচকুৰে[২] চাই চাই অন্ধৰাজ ধৃতৰাষ্ট্ৰক উপস্থিত সংগ্ৰামৰ হুবহু বৰ্ণনা দি, আকৌ এই বুলি কবলৈ ধৰিলে, "হে মহাৰাজ! ইমানলৈকে মই ঘাই ঘাই যোদ্ধাসকলৰ মাজত লগা দ্বৈৰথ ৰণৰ বিষয়ে চমুকৈ বৰ্ণাই আহিছোঁ। তাত বাজেও দুয়োপক্ষৰ অলেখ বীৰমণ্ডলীৰ মাজত বিবিধ বিধিৰে সমানে সমানে সংগ্ৰাম চলিব লাগিছে। তদুপৰি, হেজাৰ-বিজাৰ ৰথাৰোহী, অশ্বাৰোহী হাতী-আৰোহী আৰু পদাতিকৰ মাজত নিৰ্দ্ধাৰিত নিয়মে নিয়াৰিকৈ ৰণ চলি আছিল, কিন্তু শেহান্তৰত দুয়োপক্ষই ৰণোন্মত্ত হৈ ৰণনীতি ভঙ্গ কৰি বেমেজালি ঘটাবলৈ ধৰিলে; এনেতে এই দৃশ্যত ৰণপণ্ডিত শ্ৰীকৃষ্ণৰ সূক্ষ্মদৃষ্টি পৰাত, আচম্বিতে ৰণকেন্দ্ৰত সামৰণীসুৰৰ শঙ্খধ্বনি বাজি উঠিল,—ততালিকে যোদ্ধাবৰ্গ ঠায়ে ঠায়ে ঠৰ লাগিল। আজিলৈ কুৰুক্ষেত্ৰ মহাৰণ আৰম্ভণৰ ইমানতে সামৰণ হল।"

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, ৪৪ আধ্যা।

(২) কুৰুক্ষেত্ৰ মহাৰণৰ এই আৰম্ভণী হেঁচাত ভগৱান শ্ৰীকৃষ্ণই দেখাত সাৰথিৰ কৰ্ত্তব্য পালনত বাজে বিশেষ একো কৰা নাই; কিন্তু দৰাচলতে তেওঁৰ আদেশ-উপদেশ মতে হে পাণ্ডৱপক্ষ মতিস্থিৰ হৈ এই ৰণহেন্দোলনিত সোমাইছিল। কৌৰৱ আৰু পাণ্ডৱ এই প্ৰতিদ্বন্দ্বী দুদলৰ মাজত শ্ৰীকৃষ্ণ সুবৰ্ণকণ্ঠাৰ মাজৰ মণিটিৰ দৰে জিলিকিছিল।

(৩) মহাভাৰত, ভীষ্মপৰ্ব্ব, ৪৫ আধ্যা।

একত্ৰিংশ অধ্যায়

ভীষ্মৰ শৰশয্যা

আৰম্ভণ হৈ যোৱাৰ পাচত, নিতৌ নিৰ্দ্ধাৰিত নিয়মে যুদ্ধ চলিবলৈ ধৰিলে। কৰ্ত্তব্যপৰায়ণ ভীষ্মদেৱে পাণ্ডৱৰ প্ৰতি তেওঁৰ বাৎসল্য ভাবলৈ আওকাণ কৰি, সকলোৰে প্ৰতি সমদৃষ্টি ৰাখি, অকাতৰে ৰণ দিবলৈ ধৰিলে, প্ৰতিদিনে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কৌৰৱ-পাণ্ডৱৰ মাজত তুমুল সংগ্ৰাম চলিবলৈ ধৰিলে, আৰু প্ৰতিদিনে দুয়োপক্ষৰ অসংখ্যাত বীৰ সেনা আৰু সেনাপতি ৰণত পৰিবলৈ ধৰিলে। দিনে দিনে ৰণৰ সৰ্ব্বগ্ৰাহী লক্ষণ এনেদৰে চকি আহিল যে, ভীষ্মদেৱৰ দহদিনীয়া সেনাপতিত্বৰ মাজ ভাগতে পাণ্ডৱ পক্ষ সমূলি নাশ হোৱাৰ আগন্তুক দেখা গল। তথাপি ৰণ চলিছে, তথাপি কোনো পক্ষ হতাশ হোৱা নাই!

দেখি দেখি সঞ্জয় মন্ত্ৰীয়ে কুৰুক্ষেত্ৰ মহাৰণৰ গতি আৰৌ চমু-চমুকৈ অন্ধৰাজৰ আগত এইদৰে বৰ্ণাবলৈ ধৰিলে,—"হে মহাৰাজ! ৰণৰ গতি ক্ৰমাৎ ভীষণতৰ হবলৈ ধৰিছে, দুয়ো পক্ষই ৰণোন্মত্ত হৈ আপোন-পৰ নাবাছি প্ৰাণটাকি যুদ্ধ কৰিছে। কাৰ বল কিমান ক্ষয় হৈছে, তালৈ মন নকৰি প্ৰত্যেক পক্ষই, প্ৰত্যেক সেনানীয়ে শত্ৰুৰ প্ৰাণ লবলৈ বুলি নিজৰ প্ৰাণ উছৰ্গা কৰি আগ বাঢ়িছে! সেই অনুক্ৰমে ৰণুৱা হাতী-ঘোঁৰা আদিও উত্তেজিত হৈ পক্ষাপক্ষভাৱে যুঁজিব লাগিছে। আৰোহীৰ ইচ্ছা বুজি লাচতে আগুৱাই পাকতে ঘূৰি হাতী-ঘোঁৰা আদিয়ে যেন আপোন মনেৰেহে যুঁজিছে। ৰণোমত্ত হাতীৰ গাঁজনি, ঘোঁৰাৰ চেচনি, ৰথৰ ধৰ্ঘৰণি, ধনু-শৰৰ চোঁ-চোৱনি, তৰোৱালৰ চক্‌চকনি, ৰাঠী, কালি, ৰৰছাদিৰ গিৰ্‌গিৰণি, গদাৰ চন্‌চননি, পদাতিকৰ্ষ গিৰিপনি ইত্যাদিৰ সানমিহলি শবদে অকথনীয় প্ৰলয়ৰ বাৰ্ত্তা দিয়া যেন বোধ হৈছে! ৰণত পৰা বিলাক পৰিছে, মৰা মৰিছে, কত আধামৰা আধাজীয়া হৈ গড়াগড়ি গৈছে, তালৈ কাৰো ভ্ৰূক্ষেপ নাই, কোনো বিমুখ হোৱা নাই, কোনেও পিঠি দেখুৱা নাই, মাথোন ৰণতে মতি, ৰণতে গতি, ৰণতে ধাউতি! এই কেইদিনৰ ভিতৰতে কিমান যে ৰণুৱা পৰিল, তাৰ লেখ নাই।"[১] কিন্তু, পাচলৈ পাণ্ডৱবাহিনী নিতে নিস্তেজ হৈ পৰিবলৈ ধৰিলে, নিতে পাণ্ডৱ ৰণবল ক্ষীণাই যাবলৈ ধৰিলে, পাণ্ডৱ পক্ষ নিতে হতাশ হবলৈ ধৰিলে। নিতৌ নিৰ্দ্ধাৰিত সময়ৰপৰা ৰণ লাগে, নিতৌ সন্ধ্যাপৰত পাণ্ডৱ পক্ষ জুকলা হৈ শিবিৰলৈ ওলটে! শেহান্তৰত দেখা গল যে, এইদৰে ক্ষয় হব লাগিলে ভীষ্মদেৱৰ সেনাপতিত্ব অন্ত পৰাৰ আগেয়েই পাণ্ডৱ ৰণবল অন্ত পৰিবগৈ। গতি-গোত্ৰ দেখি পাণ্ডৱ শিবিৰ ক্ৰমাৎ জঁয় পৰি আহিল, আৰু আনহাতে কৌৰৱ শিবিৰ উলাহত উদ্দীপ্ত হৈ উঠিল। এই কথাই পাণ্ডৱ পক্ষৰ নেতাবৰ্গক চিন্তাকুল কৰিলে, যুদ্ধকৰ্ত্তা যুধিষ্ঠিৰৰ চিন্তাত মূৰ দোঁ খালে। এনে সমস্যাত, এনে আসন্ন বিপদত, পাণ্ডৱবান্ধৱ বুদ্ধিস্বৰ্গ-নাৰায়ণ ৰণপণ্ডিত শ্ৰীকৃষ্ণদেৱে সেই চিন্তালোচনাৰ ভাৰ স্বয়ং মূৰ পাতি ললে। তেওঁৰ চিন্তাই ততালিকে ঢুকি পালে যে, এই মহাৰণত পাণ্ডৱ পতনোন্মুখ হোৱাৰ আচল কাৰণ অৰ্জ্জুন। অৰ্জ্জুনে পিতামহ ভীষ্মদেৱৰ প্ৰতি মমতাত[২] তেওঁৰে সৈতে মৃদু যুদ্ধ কৰা হেতুকেই তেওঁৰ তেজ ক্ৰমাৎ বাঢ়ি গৈছে, আৰু তেওঁ আদৰ্শ কৰ্ত্তব্যপৰায়ণ পুৰুষ হেতুকে সামৰিক শত্ৰু পাণ্ডৱপক্ষক ধ্বংস কৰিবলৈ পূৰ্ণবল প্ৰয়োগ কৰিছে। এই ভাবি, পৰমানন্দ বাসুদেৱে আনন্দমনেৰে নিৰানন্দ যুধিষ্ঠিৰক সাক্ষাৎ কৰি, হাঁহি হাঁহি এইবুলি আশ্বাস দিবলৈ ধৰিলে, "হে অগ্ৰজপ্ৰতিম পাণ্ডৱশ্ৰেষ্ঠ। আপুনি হতাশ হোৱাৰ কোনো কাৰণ নাই; আজ্ঞা কৰোক মই ভীষ্মদেৱক কাইলৈকে বধ কৰোঁ। কিন্তু, এই কাৰ্য্য অৰ্জ্জুনৰ দ্বাৰায়ো সাধিত হব পাৰে গতিকেহে মই যুদ্ধ নকৰোঁ বোলা প্ৰতিজ্ঞা পাৰ্য্যমানে পালন কৰি আছোঁ। আপোনাৰ আজ্ঞা হলে, অৱশ্যে মোৰ প্ৰতিজ্ঞা ভঙ্গ হোৱাত দোষ নঘটিব পাৰে।"

অনুজপ্ৰতিম শ্ৰীকৃষ্ণদেৱৰ এনে সাদৰী কথাত মোহিত

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, ৪৬ অধ্যায়।

(২) মহাভাৰত, ভীষ্মপৰ্ব্ব, ৪৯ অধ্যায়।

হৈ, কৃষ্ণপ্ৰাণ ধৰ্ম-যুধিষ্ঠিৰে গদগদভাৱে এইবুলি সমিধান দিলে, "নালাগে তোমাৰ প্ৰতিজ্ঞা ভঙ্গ হব। মই সিমান স্বাৰ্থপৰ নহওঁ। মই পৰাস্ত হওঁ, মই সবংশে ধ্বংস হওঁ, তাত মোৰ সিমান বেজাৰ নাই; কিন্তু মোৰ হুস্তে তোমাৰ প্ৰতিজ্ঞা ভঙ্গ হবলৈ নিদিওঁ।"

সেই সন্ধ্যা সিমানতে। পিচদিনা ভীষ্মদেৱৰ সেনাপতিত্বৰ নৱম দিন আহিল। এই দিন এটা মহাসমস্যাৰ দিন। সেই নৱমী দিনা ভীষ্মদেৱ বিজয়ী হৈ শিবিৰলৈ উলটিব লাগিলে, পিচদিনা—দশমী দিনা—ভীষ্মৰ সেনাপতিত্বৰ শেহদিনা—আৰু পাণ্ডৱ পক্ষ তিষ্ঠিবৰ সম্ভাৱনা নাই। গতিকে, সেইদিনা ভীষ্মাৰ্জ্জুনৰ ৰণ লগাই দি, ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনৰ ৰণকাৰ্যৰ গতি-গোত্ৰ লক্ষ্য কৰিবলৈ ধৰিলে। অৰ্জ্জুনে অতি কাতৰভাৱে অনিচ্ছাৰে সৈতে মৃদুযুদ্ধ কৰে, সেই ছেগতে ভীষ্মদেৱে অসংখ্য পাণ্ডৱসেনা নিপাত কৰে।

এনেতে, ভীষ্মৰ বলত বলিয়ান কৌৰৱ সৈন্যই কেইওফালৰপৰা বেৰি ধৰি কৃষ্ণ সমন্বিতে অৰ্জ্জুনৰ ৰথ গৰা মাৰি ধৰিলেগৈ। এনে আসন্ন সময়ত, শ্ৰীকৃষ্ণৰ সেনাপতি মহাৰথ সাত্যকিয়ে বিষম বিক্ৰমেৰে পথ উলিয়াই গৈ সসৈন্যে কেশৱৰ কাষ চাপিলেগৈ। সাত্যকিয়ে কৃষ্ণাৰ্জ্জুনৰ উদ্ধাৰৰ অৰ্থে উত্ৰাৱল হৈ অহা দেখি, কংসচাণুৰমৰ্দ্দন মধুনিসূদন মহাবাহু শ্ৰীকৃষ্ণই হাঁহি মাৰি সাত্যকিক এইবুলি সম্বোধন কৰিলে,—"হে শিনিবংশতিলক মহাৰথ! আমাৰ সাহায্যাৰ্থে এই সময়ত তুমি অহাৰ প্ৰয়োজন নাছিল। পাণ্ডৱপক্ষীয় সৈন্য-সামন্ত যি পলাইছে, পলাবলৈ দিয়া, আৰু যি আছে, যায় যদি সিবিলাককো যাবলৈ দিয়া। মই এতিয়াই অকলেই ভীষ্মক বধ কৰি দ্ৰোণকো সসৈন্যে নিপাত কৰোঁ চোৱা।"

এইবুলি, মূৰ্ত্তিমান ভগৱান শ্ৰীকৃষ্ণই তত্তালিকে কদ্ৰৰূপ ধাৰণ কৰি আৰু ৰণোল্লাহত উলাহিত হৈ, ৰথৰ ঘোঁৰাৰ বাঘজৰী দলিয়াই পেলাই, জঁপিয়াই ৰথৰপৰা নামি, ৰথৰ চকৰি এটা খুটলি লৈ চক্ৰৱৎ[১] ঘূৰাই ঘূৰাই ভীষ্মক আক্ৰমণ কৰিবলৈ উৰাৰত হৈ ধাবিত হল। শ্ৰীকৃষ্ণৰ সেই আগন্তুক আক্ৰমণলৈ লক্ষ্য কৰি, কৃষ্ণভক্ত ভীষ্মদেৱে পৰম আহ্লাদেৰে এইবুলি তেওঁক আহ্বান কৰিবলৈ ধৰিলে,—"হে দেৱেশ! হে জগন্নিবাস! আহা, আহা, হে শাৰ্ঙ্গগদাপাণি! তোমাক নমস্কাৰ কৰোঁ। হে লোকনাথ! হে ভূতশৰণ্য! এই যুদ্ধত মোক অনতিপলমে এই ৰথতে নিপাত কৰি উদ্ধাৰ কৰাঁহি।[২] কিন্তু প্ৰভো! তুমি যুদ্ধ নকৰোঁ বুলি প্ৰতিজ্ঞা[৩] কৰোঁতে মযো প্ৰতিজ্ঞা কৰিছিলোঁ, তোমাক এদিন যুদ্ধাস্ত্ৰ ধৰাই হে এৰিম বুলি। ধন্য মই, মোৰ সেই প্ৰতিজ্ঞা আজি ৰক্ষা পৰিল, আৰু ধন্য তোমাৰ ভকতবৎসলতা, তুমি আত্মপ্ৰতিজ্ঞা ভঙ্গ কৰিও ভকতৰ প্ৰতিজ্ঞা ৰক্ষা হেতু ইমান কৃপা কৰিলা।"

ভগৱান শ্ৰীকৃষ্ণৰ মূৰ্ত্তি দেখি অৰ্জ্জুনৰ চুৰ্ত্তি হেৰাল! ৰথীৰ বৰ্ত্তমানে সাৰথিয়ে যুদ্ধ দিয়ে এতিয়া। বিশেষ, শিষ্যৰ শিথিলতাৰ গুৰুৰ প্ৰতিজ্ঞা ভঙ্গ হয়। এই দুটা ভাৱে অৰ্জ্জুনক টান মাৰি ধৰিলে। তেওঁ উপায়ান্তৰ হৈ উন্মাদৰ দৰে ৰথৰপৰা জঁপিয়াই নামি, শ্ৰীকৃষ্ণৰ পিচে পিচে লৰি গৈ, তেওঁক কঁকালত গৰামাৰি ধৰি ৰাখিবলৈ চেষ্টা কৰিলেগৈ। কিন্তু, উত্ৰাৱল কৃষ্ণবীৰক অৰ্জ্জুন হেন মহাবাহুৱে পূৰ্ণবলেৰে ধৰিও ৰখাব নোৱাৰিলে; প্ৰমত্ত

---

(১) শ্ৰীকৃষ্ণৰ অন্যতম ৰণাস্ত্ৰ আছিল চক্ৰ। ৰথৰ চকৰি ঘূৰাই ভীষ্মদেৱ প্ৰমুখ্যে যুদ্ধাৰ্থীসকলক বাসুদেৱে তাৰ নিদৰ্শন দেখুৱালে।

(২) এহ্যেহি দেৱেশ জগন্নিবাস
নমোঽস্তু তে শাৰ্ঙ্গগদাপাণে।
প্ৰসহ্য মাং পাতয় লোকনাথ
ৰথোত্তমাং ভূতশৰণ্য সংখ্যে॥
—মহাভাৰত, ভীষ্মপৰ্ব্ব, ৫৯ আধ্যা।

ইয়াৰপৰাই বুজা যায়, মহামতি ভীষ্মদেৱৰ কৃষ্ণভক্তি কিমান গভীৰ আছিল, আৰু তেওঁ শ্ৰীকৃষ্ণত ঈশ্বৰত্ব আৰোপ কৰাৰ ই এটা বিশিষ্ট প্ৰমাণ।

(৩) ইয়াৰ আগেয়ে 'শ্ৰীকৃষ্ণ'ৰ মধ্যলীলা খণ্ডত কোৱা গৈছে যে, আদিতে এই কুৰুক্ষেত্ৰ মহাৰণলৈ বাসুদেৱক বৰণ কৰিবলৈ যাওঁতে, অৰ্জ্জুন আৰু দুৰ্যোধনৰ আগত বসুসিংহ শ্ৰীকৃষ্ণই যুদ্ধ নকৰো বুলি এইদৰে প্ৰতিজ্ঞা কৰিছিল,—'অযুধ্যমানঃ সংগ্ৰামে ন্যস্তশস্ত্ৰোঽহং মেকতঃ।'

সিংহই বাঘৰ খুটা উতালি লৈ যোৱাদি যদুবীৰে পাণ্ডৱ-বীৰক ওফৰাই লৈ দহ কদমমান আগবাঢ়ি গৈছে, এনেতে পাৰ্থ বীৰে, নিৰুপায় হৈ, অগত্যা আগচি ধৰি পাণ্ডৱ-বান্ধৱ বাসুদেৱৰ ছুটি পাৱৰ মাজত মূৰ গুজি বাধা দি, এই বুলি স্তুতি কৰিবলৈ ধৰিলে,—"হে কেশৱ! কৃপা কৰি ক্ৰোধ সংবৰণ কৰা। তুমি পাণ্ডৱৰ বল, তুমি পাণ্ডৱৰ গতি, তুমি পাণ্ডৱৰ আশ্ৰয়! হে প্ৰভো! মোৰ অপৰাধ ক্ষমা কৰা। হে অন্তৰ্য্যামী পৰমাত্মা! তোমাৰ অবিদিত কি আছে! মই পিতামহ ভীষ্মৰ প্ৰতি মৃদু-যুদ্ধ কৰাটো সঁচা। কিন্তু, তোমাৰ চৰণ চুই মই প্ৰতিশ্ৰুত হৈছোঁ, মোৰ প্ৰাণপ্ৰতিম পুত্ৰগণৰ আৰু প্ৰাণাধিক অগ্ৰজ আৰু অনুজগণৰ শপত খাই অঙ্গীকাৰ কৰিছোঁ, মই আৰু ভীষ্মদেৱৰ মমতাত কাতৰ নহওঁ, ইয়াৰ পাচত মই প্ৰাণ-টাকি যুঁজি ভীষ্ম আৰু দ্ৰোণক বধ কৰি কৌৰৱৰ ৰণবল সমূলি নাশ কৰিম। এতেকে, হে কৃষ্ণ! ইমানতে কৃপা কৰা।"[1]

অৰ্জ্জুনৰ স্তুতিতকৈও প্ৰতিশ্ৰুতিত অধিক তুষ্ট হৈ, শ্ৰীকৃষ্ণদেৱে উলটি আকৌ ৰথত চৰিলেহি। অৰ্জ্জুনেও ৰথত চৰিলেহি। অৰ্জ্জুনেও ৰথত চৰি নিজৰ আসনত বহি পুনঃ ৰণলৈ সষ্টম হৈ মহাধনু গাণ্ডীৱত টঙ্কাৰ দিলেহি। শ্ৰীকৃষ্ণই তেওঁৰ জগত-উদ্দীপক 'পাঞ্চজন্য' শঙ্খ কেইওমুখে বজাবলৈ ধৰিলে। হতাশৰ খুন্দাত ঠৰ হোৱা পাণ্ডৱ-বাহিনী পুনঃ ঠন্ ধৰি উঠিল,—গোটেই পাণ্ডৱ শিবিৰত সঞ্জীৱনী শক্তি পুনৰপি সঞ্চাৰিত হল; তাৰ লগে লগে আচম্বিতে পাণ্ডৱ পক্ষক উদ্দীপ্ত হোৱা দেখি কৌৰৱ পক্ষ আচৰিত হৈ আকৌ জঁয় পৰিল। গছে পাত সলোৱাৰ দৰে ৰণে ৰৰণ সলালে, নতুন পাত-চোতেৰে জপ্‌জপীয়া জীৱন্ত গছৰ নিচিনা হৈ পাণ্ডৱবাহিনী পুনৰপি টনকিয়াল হৈ উঠিল; অৰ্জ্জুন আকৌ অৰ্জ্জুন হল। দশমী দিনা অৰ্জ্জুনে দয়া-মমতা, মায়া-মোহ সকলো পৰিত্যাগ কৰি পূৰ্ণবলেৰে ভীষ্মদেৱৰে সৈতে প্ৰাণপণে ৰণ কৰিবলৈ ধৰিলে। কৌৰৱ আৰু পাণ্ডৱৰ এই সৰ্ব্বশ্ৰেষ্ঠ অজেয় বীৰ দুজনৰ তুমুল সংগ্ৰামে মেদিনী কঁপাবলৈ ধৰিলে, আকাশৰ পৰা বৰষুণ পৰাদি দুইৰো ওপৰত দুইৰে বাণবৃষ্টি বৰষিবলৈ ধৰিলে, অসংখ্যাত সেনা-সেনাপতি ৰণত পৰিবলৈ ধৰিলে; হয়-হস্তী, আহিলা-পাতি আদি ক্ষয়ৰ সীমা-সংখ্যা নোহোৱাত পৰিল, ৰণোন্মত্ত ৰণুৱাৰ মাজত আকৌ কাকো কেৰে চিনিব নোৱাৰা হল, অৰ্জ্জুন আৰু ভীষ্মদেৱ দুয়ো তেজেৰে ৰাঙলী হল, কোনো অঙ্গৰ কোনো অংশত দু-আঙুল ফাঁক নথকাকৈ ভীষ্মদেৱ শৰবিদ্ধ হল। এই অনুক্ৰমে বিবিধ কৌশলেৰে ৰণ চলিব লাগিছে, অদ্ভুত সাৰথি শ্ৰীকৃষ্ণই বিচক্ষণীয়া কৌশলেৰে ৰথ চলাই অৰ্জ্জুনক পাকেপতি আসন্ন সঙ্কটৰপৰা সৰুৱাব লাগিছে, আৰু ৰথীক ঠেকত পেলাই দি সাংঘাতিক আঘাত দিয়াব লাগিছে। এনেতে, দুৰ্জ্জয় গিৰি উভলি পৰাৰ দৰে, বিৰাট পুৰুষ দুৰ্জ্জয় বীৰ ভীষ্মদেৱ ৰথৰপৰা উফৰি ৰণভূমিত চিট্‌খাই পৰিলগৈ; ভূমিত পৰিল, কিন্তু প্ৰকৃতপক্ষে তেওঁৰ শৰীৰে ভূমি স্পৰ্শ কৰিবলৈ নাপালে, অসংখ্যাত শৰবিদ্ধ শৰীৰ আলাসতে শৰশয্যাত[2] শায়িত হৈ ৰল! ভীষ্ম-পতনত শত্ৰু-মিত্ৰ, সপক্ষ-বিপক্ষ, সকলোৰে মাজত সমভাৱে হাহাকাৰ লাগি উঠিল; দুৰ্য্যোধন আৰু কৃপাচাৰ্য্যাই বিলাপত গছৰ পাত লৰাবলৈ ধৰিলে, কৌৰৱ-পাণ্ডৱ উভয় শিবিৰ শোকত জঁয় পৰিল[3]। বয়সত সবাতকৈ বৃদ্ধ, সবাৰো পিতামহ সমতুল্য; জ্ঞানত সবাতকৈ গভীৰ,

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, ৫০ আধ্যা.।

(২) এয়ে 'ভীষ্মৰ শৰশয্যা'ৰ মূল তথ্য।

(৩) কোনোৱে ভীষ্মৰ পতন বা শৰশয্যা এইদৰেও বৰ্ণায়:—

যেনে, ভীষ্মদেৱৰ ৰণবীৰ্য্যৰ প্ৰভাৱত যেতিয়া পাণ্ডৱ পতনোন্মুখী হল, তেতিয়া উপায়ান্তৰ হৈ যুধিষ্ঠিৰে পাণ্ডৱ শিবিৰত ৰথা যুগুতি কৰি, অমৰ অজেয় ভীষ্মদেৱৰ মৰণৰ উপায় ভীষ্মদেৱকে সুধিবলৈ যথাবিধি কৌৰৱ শিবিৰত প্ৰৱেশ কৰিলেগৈ। উদাৰচেতা মহামতি ভীষ্মদেৱে অকাতৰে আৰু অকপট চিত্তেৰে নিজ মৰণোপায় নিজে এই বুলি কৈ দিলে, 'হে পাণ্ডুনন্দন! সঁচাকৈয়ে মোক নবধিলে পাণ্ডৱৰ নিস্তাৰ নাই। মোৰ স্ব-হাতে পালিত নাতি পঞ্চপাণ্ডৱ মোৰ হাতত বিনষ্ট হোৱাতকৈ সিহঁতৰ হাতত মোৰ পতন হোৱাটো অধিক বাঞ্ছনীয়। এতেকে,

সবাৰো জ্ঞানদাতা; বুদ্ধিত সবাতকৈ তীক্ষ্ণ, সবাৰকে সৎ বুদ্ধি দিওঁতা; অভিজ্ঞতাত সবাতকৈ বিজ্ঞ, সবাৰবে পিতৃ-পুৰুষৰ বুৰঞ্জী কওঁতা; ৰাজনীতি, সমাজনীতি, ধৰ্মনীতিত অগাধ পণ্ডিত; সৰ্ব্বশাস্ত্ৰ বিশাৰদ; মহাধাৰ্ম্মিক। সেই হেন মহামতি ভীষ্মদেৱৰ পতনত অটল ভগৱান শ্ৰীকৃষ্ণও টলিবলৈ ধৰিলে;—তেওঁ অতি ব্যথিত হৃদয়েৰে কাতৰ কণ্ঠেৰে এইবুলি খেদ কৰিছিল,—"হায়, পৃথিবীৰ জ্ঞান পৃথিবীৰ গৰ্ভত লয় হয় আজি!"

সদোশেহত, শ্ৰীকৃষ্ণৰ সঙ্কেত অনুসৰি, যুধিষ্ঠিৰ প্ৰমুখ্যে পাণ্ডৱ পক্ষীয় জ্ঞানপিপাসুসকলে মৃত্যুমুখী ভীষ্মদেৱৰ মুখে নানাবিষয়িনী নীতি উপদেশ[১] গ্ৰহণ কৰি কৃতাৰ্থতা লাভ কৰিলেগৈ। এই দৰেই শ্ৰোতাবৰ্গক বিবিধ জ্ঞানগৰ্ভ উপদেশ দি থাকোঁতেই দিনচাৰেকৰ মূৰত সূৰ্য্যৰ উত্তৰায়ণ স্থিতিত[২] আত্মজ্ঞান-জ্যোতি সংবৰণ কৰি, পুণ্যাত্মা ভীষ্মদেৱে ইচ্ছামৃত্যুৰ আলিঙ্গনত চিৰশান্তি লাভ কৰিলে।[৩]

দ্বাত্ৰিংশ আধ্যা

অভিমন্যু বধ

ভীষ্মদেৱৰ পতনত কৌৰৱ পক্ষ নিস্তেজ হৈ পৰিল, দুৰ্য্যোধন হতাশৰ খুন্দাত জঁয় পৰিল। তথাপি, উপায়ান্তৰ হৈ কৌৰৱ শিবিৰত সামৰিক সমিতিৰ[৪] বিশেষ বৈঠক তেওঁ আহ্বান কৰিলে। সেই বৈঠকতে মহাবীৰ কৰ্ণৰ প্ৰস্তাৱ আৰু সৰ্ব্বসম্মতিক্ৰমে কৌৰৱ, পাণ্ডৱ আৰু প্ৰায় সকো ৰাজন্যবৰ্গৰ প্ৰখ্যাত অস্ত্ৰগুৰু পূজনীয় দ্ৰোণাচাৰ্য্যক ভীষ্মদেৱৰ ঠাইত কৌৰৱপক্ষীয় খাই সেনাপতিৰ বাবত বৰণ কৰা হল। আৰ্য্যাবৰ্ত্তৰ নানা ঠাইৰপৰা আহি কুৰুক্ষেত্ৰ-মহাৰণত প্ৰবৃত্ত হোৱা কৌৰৱ, পাণ্ডৱ উভয় পক্ষৰে ধনুৰ্দ্ধৰ বীৰ সকলোৱে অস্ত্ৰশিক্ষক-গুৰুদেৱ দ্ৰোণাচাৰ্য্যই প্ৰধান নেতৃত্বৰ ভাৰ গ্ৰহণ কৰাত কৌৰৱ পক্ষ আকৌ ঠন্ ধৰি উঠিল।

পিচদিনা, কুৰুক্ষেত্ৰ-মহাৰণৰ একাদশীত, যুদ্ধ আকৌ আৰম্ভ হল। পাণ্ডৱ পক্ষ আকৌ সেই একে কাৰণতে বিষমকৈ ঘাটি জুৰুলা হৈ শিবিৰলৈ উলটিব লগীয়া হল। তাৰ পিচদিনা পাণ্ডৱ পক্ষ ততোধিক জৰ্জ্জৰিত হৈ পৰিল, আৰু কৌৰৱ পক্ষ ক্ৰমাৎ টনকিয়াল হৈ উঠিল। কাৰণ পিতামহ ভীষ্মদেৱৰ লগত অৰ্জ্জুনে মৃদুযুদ্ধ কৰাৰপৰা যি ফল ধৰিছিল, অস্ত্ৰশিক্ষা-গুৰু দ্ৰোণাচাৰ্য্যৰ লগতো অৰ্জ্জুনে সেই মৃদুযুদ্ধ কৰা হেতুকে আকৌ সেই ফলেই ফলিয়াবলৈ ধৰিলে। ভীষ্মদেৱৰ নেতৃত্বত পাণ্ডৱপক্ষৰ পৰাজয়ৰ লক্ষণ যি ৰূপে দেখা গৈছিল, দ্ৰোণাচাৰ্য্যৰ নেতৃত্বত ততোধিক দেখা গল। কাৰণ, শিক্ষাগুৰু দ্ৰোণাচাৰ্য্যৰ প্ৰতি তীক্ষ্ণ অস্ত্ৰ

মোৰ বধৰ উপায় কওঁ শুনা: মই তিৰোতালৈ চাই ৰণ নকৰোঁ, মই অঙ্গক্ষত লোকক নবধোঁ, মই অমঙ্গলীয়া মানুহৰ আগত শৰ যোজনা নকৰোঁ। পাণ্ডৱ পক্ষত তেনেকুৱা লোক বৰ্ত্তমান আছে,—তেওঁ দ্ৰুপদনন্দন শিখণ্ডী। শিখণ্ডী জন্মত তিৰোতা, পালনত পুৰুষ। তেওঁক নপুংসক বোলা যায়। গতিকে, তেওঁ মোৰ চকুত অতি অমঙ্গলীয়া। শিখণ্ডীক দেখিলে মই ৰণত নিৰস্ত্ৰ হওঁ। এতেকে কাইলৈৰ ৰণত অৰ্জ্জুনৰ ৰথত শিখণ্ডীকো একাষেদি বহুৱাই ললে মোৰ আৰু অস্ত্ৰ ধৰা নহব। সেই ছেগতে অৰ্জ্জুনে মোক অসংখ্য শৰবিদ্ধ কৰি শৰশয্যাত শয়ন কৰাব। সেয়ে মোৰ পতন।" পিচদিনা—দশমীৰ দিনা—ৰণত ঠিক সেয়ে হল। পিচে, ই কল্পিত নে প্ৰকৃত, পাঠকে নিজৰ বুদ্ধি-বিবেচনাই তাৰ বিচাৰ লবলৈ আমি সেই বিষয় সেই ভাগেই এৰিলোঁ।

(১) ভীষ্মদেৱ সৰ্ব্বশাস্ত্ৰ বিশাৰদ; তথাপি নীতিশাস্ত্ৰত তেওঁৰ ব্যুৎপত্তি বিশেষ। তেওঁ নীতিৰ মেৰুদণ্ড স্বৰূপ আছিল।

(২) ভীষ্মদেৱৰ পতনৰ দিনা সূৰ্য্যৰ স্থিতি দক্ষিণায়ণত হৈছিল; গতিকে অসীম মনোবলেৰে তেওঁ উত্তৰায়ণ স্থিতিলৈ কেদিনমান অপেক্ষা কৰি তনুত্যাগ নকৰাকৈ হৈছিল। সেই আলমতে ভীষ্মদেৱৰ মহাপ্ৰয়াণক ইচ্ছা-মৃত্যু বোলা যায়।

(৩) মহাভাৰত, শান্তিপৰ্ব্ব।

(৪) আসন্ন আপদৰপৰা মুক্তিৰ যুক্তি কৰাৰ উদ্দেশ্যে ৰণশিবিৰত সামৰিক আলোচনা সভাৰ বৈঠকৰ ৰীতি পুৰাকালৰেপৰা চলি আহিছে।

নিক্ষেপক বিৰলৈ অতি প্ৰিয়শিষ্য[১] অৰ্জ্জুনৰ কোনোমতেই সহ্য নাযায়! গতিকে, সাৰথি শ্ৰীকৃষ্ণ আকৌ চিন্তান্বিত হল।

একেসময়তে পাণ্ডৱৰ ওপৰত হেঁচাৰ উপৰি হেঁচা! সিফালে দ্ৰোণাচাৰ্য্যৰ বিক্ৰম সহিব নোৱাৰি পাণ্ডৱ পক্ষ ত্ৰাহি-ত্ৰাহি; ইফালে আন এজন মহাপৰাক্ৰমী বীৰ, কামৰূপৰ অধিপতি ভগদত্তৰ[২] বিক্ৰমৰ আগত কোনো এজন বীৰেই ঠাৰবিব নোৱাৰাত পৰিল, মাথোন অৰ্জ্জুনে ছেগ বুজি তেওঁৰ গৰাহৰপৰা পাণ্ডৱপক্ষীয় যোদ্ধাসকলক ৰক্ষা কৰি আছিল। শেহান্তত, অৰ্জ্জুনে সেই ছেগ ধৰিবলৈ আজৰি নোপোৱা হলত, ভগদত্তৰ গৰাহৰপৰা ৰক্ষা পোৱাটোৱেই পাণ্ডৱসকলৰ পক্ষে অসম্ভৱ হৈ পৰিল। গতিকে, এই সমস্যাতো ৰণপণ্ডিত মহাবাহু শ্ৰীকৃষ্ণই কুৰুক্ষেত্ৰ মহাৰণত অনুধাৱণ নকৰাকৈ ৰণজয়ী হৈ পাণ্ডৱপক্ষক ৰক্ষা কৰিবলৈ চিন্তালোচনা কৰিব লগাত পৰে।[৩]

এনেতে, দ্ৰোণৰ প্ৰতিজ্ঞা চৌপাশে ৰাষ্ট্ৰ হৈ পৰিল যে, পিচদিনা তেওঁ পাণ্ডৱৰাজ যুধিষ্ঠিৰক নিশ্চয় বন্দী কৰি কৌৰৱৰাজ দুৰ্য্যোধনৰ হাতত গতাই দিবগৈ। এই ৰাষ্ট্ৰ-সংবাদত পাণ্ডৱ শিবিৰত আতঙ্ক উপস্থিত হল। কিন্তু, পাণ্ডৱ আৰু কৌৰৱ শিবিৰত সকলোৰে দৃঢ় বিশ্বাস যে, অৰ্জ্জুনৰ বৰ্ত্তমানে দ্ৰোণাচাৰ্য্যৰ সেই সংকল্প কাৰ্য্যত পৰিণত হোৱা সম্ভৱপৰ নহয়। সেই কাৰণে, কৌৰৱ শিবিৰত আকৌ সামৰিক সমিতিৰ বৈঠক হল। তাত বৃদ্ধ ব্ৰাহ্মণ ৰণপণ্ডিত দ্ৰোণাচাৰ্য্যৰ পৰামৰ্শ মতে এই স্থিৰ হল যে, সেই দিনা অৰ্জ্জুনক আঁতৰাই ৰাখিবৰ অৰ্থে, সিফালে সংসপ্তক সেনাই[৪] তেওঁক ৰণলৈ আহ্বান কৰক। অৰ্জ্জুন আঁতৰিলেই তেওঁৰ সাৰথি পাণ্ডৱ-বুদ্ধি শ্ৰীকৃষ্ণ আঁতৰ হব। সেই ছেগতে দ্ৰোণাচাৰ্য্যই এক অদ্ভুত ব্যূহ ৰচনা কৰি পাণ্ডৱৰাজ যুধিষ্ঠিৰক ৰণলৈ আহ্বান কৰিব। অৰ্জ্জুনত বাজে দ্ৰোণাচাৰ্য্যৰ ব্যূহ-ভেদ কৰোঁতা আৰু কেও নাই। গতিকে, ধৰ্মপ্ৰাণ যুধিষ্ঠিৰ অযাচিতে শৰণাপন্ন হব। পিচদিনা ঠিক তাকে কৰা হল। সংসপ্তক সেনাৰ আহ্বান পালন কৰিবলৈ[৫] বাধ্য হৈ, কৃষ্ণাৰ্জ্জুন আঁতৰি গৈ সেই নাৰায়ণী সেনাৰ লগত ৰণত প্ৰবৃত্ত হলগৈ। ইফালে দ্ৰোণাচাৰ্য্যৰ আহ্বান পাই যুধিষ্ঠিৰ বিবুদ্ধি হল, কিয়নো অৰ্জ্জুনত বাজে দ্ৰোণাচাৰ্য্যৰ ব্যূহ ভেদ কৰা শিক্ষা আনৰ নাই। গতিকে, পাণ্ডৱ শিবিৰত হাহাকাৰ লাগি উঠিল; ভীম, নকুল, সহদেৱ, সাত্যকি প্ৰমুখ্যে সকলোটি যুধিষ্ঠিৰক আগত লৈ সামৰিক সমিতিৰ বৈঠকত বহিল। এনেতে, ষোল-বছৰীয়া পাণ্ডৱকুলতিলক কৈশোৰ-কেশৰী সুভদ্ৰা-নন্দন অভিমন্যুৱে দ্ৰোণাচাৰ্য্যৰ সেই অভেদ্য ব্যূহ ভেদ

---

(১) অস্ত্ৰ-শিক্ষাগুৰু দ্ৰোণাচাৰ্য্যৰ শিষ্যসকলৰ ভিতৰত অৰ্জ্জুন সবাতকৈ অধিক প্ৰিয়শিষ্য আছিল। সেই কাৰণেই তেওঁ অৰ্জ্জুনক কেইবাটিও বিচক্ষণীয়া শৰসন্ধানৰ আৰু ৰণ-ৰচনাৰ প্ৰণালী আনতকৈ বঢ়াই শিক্ষা দিছিল, যেনে,—গুৰুসংকাৰ আৰু গুৰুমাননী প্ৰদৰ্শক শৰযোজনা, চক্ৰব্যূহ ৰণ-ৰচনা ইত্যাদি। এই বিশেষ শিক্ষালাভৰ বলতে অৰ্জ্জুন বিশেষ বীৰ্য্যবান ধনুৰ্দ্ধৰ স্বৰূপে প্ৰখ্যাত হৈছিল।

(২) ভগদত্ত নৰকাসুৰৰ বৰপুত্ৰ, কামৰূপৰ অধিপতি। তেওঁ কুৰুক্ষেত্ৰ মহাৰণত এক অক্ষৌহিণী কামৰূপী সেনাৰে সৈতে কৌৰৱ পক্ষক সহায় কৰিছিলগৈ। এই কথা ইতঃপূৰ্ব্বতে 'শ্ৰীকৃষ্ণৰ' মধ্যলীলা খণ্ডত উন্নুকিৱা হৈছে।

(৩) অৰ্জ্জুনক জিনিব পাৰিলেই ভগদত্তই কুৰুক্ষেত্ৰ-মহাৰণত বিজয়ী নাম-গৌৰৱ লাভ কৰিব পাৰে, সেই কাৰণে তেওঁ বোলে বিষ্ণুভক্ত অৰ্জ্জুনৰ প্ৰতি বৈষ্ণৱ বাণ নিক্ষেপ কৰিবলৈ ধৰিলে। বৈষ্ণৱ বাণ কৰ্ত্তন কৰা অৰ্জ্জুনৰ ধৰ্ম্মবিৰোধী কৰ্ম্ম, গতিকে, ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনক ঢাকি ধৰি, স্বয়ং সেই বাণ বুকু পাতি গ্ৰহণ কৰিছিল। কৃষ্ণবক্ষত মিলিত হৈ সেই বৈষ্ণৱ বাণ বৈজয়ন্তী মালাৰূপে প্ৰলম্বিত হৈছিল। কোৱা বাহুল্য মাথোন যে, ইও এটা কেৱল মহাভাৰত প্ৰক্ষিপ্ত ব্যাপাৰ।

(৪) এই সংসপ্তক সেনা 'নাৰায়ণী সেনা' নামেও অভিহিত। ইয়াৰ সৃষ্টিকৰ্ত্তা স্বয়ং শ্ৰীকৃষ্ণ। বৃন্দাবনত এই গোপসেনাদল নন্দনন্দন ব্ৰজেশ্বৰ বাসুদেৱ শ্ৰীকৃষ্ণই গঠন কৰাৰ বিষয়ে 'শ্ৰীকৃষ্ণ'ৰ আদ্যলীলা খণ্ডত বহলাই বৰ্ণোৱা হৈছে। আৰু, শ্ৰীকৃষ্ণক কুৰুক্ষেত্ৰ-ৰণলৈ বৰণ কৰিবলৈ যাওঁতে, এই নাৰায়ণী সেনাদল দুৰ্য্যোধনক দান কৰি, শ্ৰীকৃষ্ণই নিজে অকলে অৰ্জ্জুনৰ পক্ষ অৱলম্বন কৰি, কৌৰৱ আৰু পাণ্ডৱ উভয়কে সমানে সন্তুষ্ট কৰাৰ বিষয়েও 'শ্ৰীকৃষ্ণ'ৰ মধ্যলীলা খণ্ডত বহল বিবৃতি দিয়া গৈছে।

(৫) পুৰাকালৰ ৰণনীতি অনুসৰি ক্ষত্ৰিয় বীৰ মাত্ৰেই ততালিকে ৰণ আহ্বান গ্ৰহণ কৰিবলৈ বাধ্য।

কৰিবলৈ পৰম উলাহেৰে আগ বাঢ়িলে। অদ্ভুত বীৰ অভিমন্যুৰ অসম সাহসিকতাত সদস্যসকল উৎসাহিত নহৈ আচৰিত হে হ'ল। সিবিলাকে বিস্ময় মানি প্ৰশ্ন কৰিলে যে, অৰ্জুনৰ অবিহনে অৰ্জুনতনয়লৈ ব্যূহ যুদ্ধ কেনেকৈ সম্ভৱপৰ হব পাৰে? তদুত্তৰত কৃষ্ণ-ভাগিন অভিমানী অভিমন্যুই নিৰ্ভয়ভাৱে নিবেদিলে যে, তেওঁ ব্যূহভেদ কৰিবলৈ পিতৃৰ-পৰা শিক্ষা পোৱা আছে;[1] কিন্তু ব্যূহবহিৰ্গমন প্ৰণালীৰ শিক্ষা নৌ পায় এখোন। অভিমন্যুৰ এই সমিচাৰে পাণ্ডৱ শিবিৰত কাৰো মনত সন্তোষ লগাব নোৱাৰিলে; কাৰণ ৰণত পৰাজয় হোৱাতকৈও অভিমন্যু হেন শিশুসিংহক হেৰুৱাবলৈ কাৰো সত্ নাযায়!—ব্যূহবহিৰ্গত প্ৰণালী শিক্ষাৰ অভাৱত সুভদ্ৰা-তনয়ৰ পতন নিশ্চয়। অভিমন্যুৰ ব্যূহপ্ৰৱেশত যুধিষ্ঠিৰ একোপধ্যে মান্তি নহয়। কিন্তু, নহলেও আন উপায় নাই। সদৌশেহত এয়ে সিদ্ধান্ত হ'লগৈ যে, ভীম, ধৃষ্টদ্যুম্ন আৰু সাত্যকিয়ে সসৈন্যে অভিমন্যুৰ অনুগামী হৈ ব্যূহ প্ৰৱেশ কৰি, অৰ্জুন উলটি পায়হিমানে শত্ৰুপক্ষক ৰণত প্ৰবৃত্ত ৰাখিব।

পাণ্ডৱ সামৰিক সমিতিৰ সিদ্ধান্ত অনুযায়ী অদ্ভুত বীৰ শিশুসিংহ অভিমন্যুই যথাবিধি কৌৰৱ ব্যূহ আক্ৰমণ কৰিলেগৈ। উভয় পক্ষৰ মাজত তুমুল সংগ্ৰাম লাগি উঠিল; ভালেখিনি পৰ ব্যাপি ৰণ লাগিবলৈ ধৰিলে। এনেখন তয়াময়া ৰণ আগে-পিচে কেতিয়াও লগা নাই। শেহান্তত এজন-এজনকৈ ঘাই ঘাই কৌৰৱ যোদ্ধা অভিমন্যুৰ হাতত বিষমকৈ ঘাটি বাট এৰি দিবলৈ বাধ্য হ'ল, উত্তেজিত আৰু উলাহিত অভিমন্যুই হেলাৰঙ্গে অভেদ্য ব্যূহ ভেদ কৰি ভিতৰ সোমালে। সিদ্ধান্তৰ নিৰ্দ্ধাৰণ অনুসৰি ভীমসেন প্ৰমুখ্যে পাণ্ডৱ যোদ্ধাগণ অভিমন্যুৰ পিচে-পিচে আগুৱাবলৈ ধৰিছিল; কিন্তু কৌৰৱপক্ষীয় বীৰ সিন্ধুদেশৰ অধিপতি জয়দ্ৰথে ব্যূহচক্ৰৰ ঠেকত পেলাই আগচি ধৰাত, পাণ্ডৱৰ সেই সাহায্য-বল আদবাটতে ঠমকখাই বৈ অকামিলা হৈ পৰিল; আৰু পাচত দ্ৰোণাচাৰ্য্যৰ খেদা খাই উলটিব লগাত পৰিল। অভিমন্যু একেবাৰে অকলশৰীয়া হ'ল; তেওঁ নিজ বল-বুদ্ধিৰে ব্যূহৰচনাৰ ব্যৱস্থা বুজি তাক সম্পূৰ্ণে ভেদ কৰি, তাৰ কেন্দ্ৰস্থলত অকলশৰীয়া হৈ থিত্ ললেগৈ। সেই নিৰ্গমনৰহিত শত্ৰুকেন্দ্ৰৰ মধ্যত অকল-শৰীয়াকৈ পাই শিশু পাণ্ডৱ-কেশৰীক হাজাৰ-বিজাৰ বিচক্ষণীয়া ৰথুৱাই বিষম আক্ৰোশেৰে বেৰি ধৰিলে। কৌৰৱৰ বছা বছা সুনিপুণ যোদ্ধাই এজন-এজনকৈ যুঁজি আটাই-বিলাকে হাৰ মানিলে; সেই অজেয় পাণ্ডৱ বীৰ-শিশুৰ প্ৰচণ্ড প্ৰতাপত ব্যূহকেন্দ্ৰত খলকনি লাগি উঠিল, অসংখ্যাত সেনা ৰণত পৰিবলৈ ধৰিলে। অভিমন্যুই ব্যূহবহিৰ্গমনৰ বিধি নাজানে, গতিকে তেওঁ মনতে এই স্থিৰ কৰিলে যে, তেওঁৰ পিতৃ অৰ্জুনে নাৰায়ণী সেনাৰ লগত যুদ্ধ সমাপণ কৰি আহি তেওঁক উদ্ধাৰ নকৰেহিমানে তেওঁ শত্ৰুপক্ষক আত্ম-বিক্ৰমেৰেই ব্যতিব্যস্ত কৰি ৰাখিব, আৰু যথা সময়ত সেই উদ্ধাৰক আহি নাপালেহি তেওঁ ৰণ কৰিয়েই তনু ত্যাগ কৰিব। সেই সংকল্পেৰেই অভিমন্যুই প্ৰাণপঁটাকি যুঁজিবলৈ ধৰিলে, শত্ৰুপক্ষ অস্থিৰ হৈ পৰিল। সদৌশেহত দেখা গ'ল যে, সেই দিনৰ আবেলিৰ আগেয়েই অদ্ভুত বীৰ অভিমন্যুৰ পতন নহলে, কৌৰৱৰ আৰু ৰক্ষা নাই। এক শিশুসিংহৰ প্ৰতাৱতে ইমান, তেওঁৰ পিতৃসিংহ (অৰ্জুন) আহি পালে সেই দিনাই কৌৰৱৰ পৰাজয় নিশ্চয় হৈ যাব। গতিকে, কৌৰৱ সামৰিক সমিতিৰ আসন্ন বৈঠক আহ্বান কৰা হ'ল। তাত দ্ৰোণ, কৰ্ণ, কৃপাচাৰ্য্য, দুৰ্য্যোধন, দুঃশাসন, শকুনি, অশ্বত্থামা এইসকলে বিস্তৰ আলোচনা কৰি এই সিদ্ধান্ত দিলে যে, উপস্থিত আসন্ন সময়ত ন্যায়-অন্যায়, ধৰ্ম্ম-অধৰ্ম্ম, পাপ-পুণ্য, খ্যাতি-অখ্যাতিত ভুবি ব'ঠাৰে থাউনি নোপোৱা হৈছে; গতিকে যেনে-তেনে প্ৰকাৰে এই

(১) নিচেই শিশুকালৰেপৰা অভিমন্যুক পিতাক অৰ্জুন আৰু মোমায়েক শ্ৰীকৃষ্ণই বিশেষ যত্নেৰে ৰণ-কৌশলাদিৰ শিক্ষা দিছিল। সেই ছেগতে অভিমন্যুই ব্যূহপ্ৰৱেশৰ শিক্ষা লাভ কৰে; কিন্তু ব্যূহবহিৰ্গমন প্ৰণালীৰ শিক্ষা তেতিয়ালৈকে পোৱা নাছিল। সেই আপাহতে, মাতৃগৰ্ভত অভিমন্যুই পিতৃমুখে ব্যূহভেদ কৌশলৰ বিষয়ে শুনিছিল, কিন্তু শুনি শুনি বহিৰ্গমন প্ৰণালীৰ কথা নৌ শুনোতেই মাতৃ সুভদ্ৰাৰ টোপনি অহাত সেই শেহৰ ছোৱা গৰ্ভস্থ কোঁৱৰে শুনিবলৈ নাপালে বুলি মহাভাৰতৰ প্ৰক্ষিপ্ত-কাৰৰ দ্বাৰাই কল্পিত হৈছে।

অদ্ভুত শিশুক বধিবই লাগিব। সেই উদ্দেশ্যেই দ্ৰোণ, কৰ্ণ প্ৰমুখ্যে সপ্তৰথীয়ে মিলি একেলগে একেবাহে আক্ৰমণ কৰি অকলশৰীয়া শিশু ৰথীক বধিব লাগে।[১] সেই মতেই কাৰ্য্য কৰা হল। দ্ৰোণ, কৰ্ণ, কৃপাচাৰ্য্য, দুৰ্য্যোধন, দুঃশাসন, জয়দ্ৰথ আৰু অশ্বত্থমা এই সপ্তৰথীয়ে বেৰি ধৰি একে সময়ত একেবাৰে একেবাহে সুতীক্ষ্ণ তীৰ নিক্ষেপ কৰি, অতি আপচু অন্যায় যুদ্ধেৰে[২] অদ্বিতীয় অদ্ভুত বীৰ ষোল বছৰীয়া অভিমন্যু কোঁৱৰক বধ কৰি, নিৰুপমা সুন্দৰী চৈধ্য বছৰীয়া সগৰ্ভা উত্তৰা হেন বীৰপত্নীক বিধবা কৰিলে! সুভদ্ৰা হেন মাতৃহিয়া উদং কৰিলে। অৰ্জ্জুন হেন পিতৃৰ চকুমণি কাঢ়ি পেলালে। কৃষ্ণ হেন মাতুলৰ আলিঙ্গন শূন্য কৰিলে! পাণ্ডৱ শিবিৰত হাহাকাৰ লাগি উঠিল। কোমলপ্ৰাণ ধৰ্ম্মৰাজ যুধিষ্ঠিৰ শোকত অধৈৰ্য্য হৈ পৰিল।—তেওঁৰ অনুতাপ বিশেষ; কাৰণ দ্ৰোণাচাৰ্য্যৰ প্ৰতিজ্ঞা[৩] মতে তেওঁক বন্দী কৰি নিয়াৰপৰা ৰক্ষা কৰিবলৈ বুলি হে প্ৰাণ-প্ৰতিম অভিমন্যুই আত্মবলি দান দিলেগৈ।

ত্ৰয়োত্ৰিংশ আধ্যা

জয়দ্ৰথ বধ

ইফালে নাৰায়ণী সেনাৰ লগত অৰ্জ্জুনৰ তয়াময়া ৰণ চলিছে। ই বাস্তৱতে এখন অসাধাৰণ ৰণ। এনে ৰণ কুৰুক্ষেত্ৰ-মহাৰণৰ অন্তৰ্গত সদৌ ৰণৰ মাজত বিৰল। এই ৰণত এপক্ষত কৃষ্ণ-সাৰথিৰে সৈতে অৰ্জ্জুন অকলে; অপৰ পক্ষত নাৰায়ণী সেনাৰ অন্তৰ্ভুক্ত হাজাৰ-বিজাৰ গোপ-সেনা; যি গোপসেনা প্ৰত্যেকেই কৃষ্ণসম বলৱন্ত।[৪] এই গোপ-সেনাদল শ্ৰীকৃষ্ণৰ অন্তৰতম বন্ধু, আপদৰ মিত্ৰ আৰু কৃষ্ণসৃষ্ট[৫] সৈনিক বল। গোপ-সেনাৰ প্ৰত্যেকৰ মানত তেওঁৰ বাল্যবন্ধু অমায়িক শ্ৰীকৃষ্ণ 'কানাই' প্ৰাণাধিক প্ৰিয়তম সুজন, আৰু সেই আপাহতে অৰ্জ্জুনৰ একান্ত গুণগ্ৰাহী। এনে প্ৰণয়ৰ সম্বন্ধ বৈ-বৈ থাকোঁতেও নিকৰুণ কৰ্ত্তব্যৰ শাসনত বাধ্য হৈ, ইপক্ষে সিপক্ষৰ আৰু সিপক্ষে ইপক্ষৰ নাশহেতু প্ৰাণপণে যুঁজিছে! অজেয় নাৰায়ণী সেনাৰ সুতীক্ষ্ণ বাণত অৰ্জ্জুনৰ সৰ্ব্বশৰীৰ জৰ্জ্জৰিত; আন কি, পৰমাৰাধ্য ইষ্টগুৰুদেৱ স্বয়ং শ্ৰীকৃষ্ণয়ো তাৰপৰা অব্যাহতি পোৱা নাই! অপৰ পক্ষৰপৰা দুৰ্জ্জয় ধনঞ্জয়েও শত্ৰুদলনত এফেৰিও ত্ৰুটী কৰা নাই; তেওঁ গাণ্ডীৱত বছা বছা কালান্তক শৰ যোজনা কৰি, একে একে শৰতে অনেকানেক শত্ৰুক ঢলিয়াই পেলাইছে। এই ৰণ অতি ভয়াবহ; বাস্তৱতে অতি হৃদয়বিদাৰক; আৰু দৃশ্য অতিশয় নিকৰুণ। এনে ৰণত সাৰথি হৈ ভগৱান শ্ৰীকৃষ্ণই কৰিছে কি?—কৰ্ত্তব্যৰপৰা চুলি পৰিমাণো নিপিছলি অকাতৰে, বৰঞ্চ বিশেষ কৌশল আৰু দক্ষতাৰে সৈতে ৰথী অৰ্জ্জুনক তেওঁৰ শত্ৰু নিপাতলৈ চক্ৰ লগাই দিছে। এই ৰণত আদিৰপৰা অন্তলৈকে গোপাল গোবিন্দ গোপীনাথ শ্ৰীকৃষ্ণ স্থিৰ, ধীৰ, অচল, অটল, প্ৰশান্ত আৰু উদাসীন! এই ৰণ সমস্ত দিনব্যাপী হৈছিল। সদৌশেহত, আবেলি বেলিকা নাৰায়ণী সেনাক সমূলঞে নিপাত কৰি অৰ্জ্জুনে জয়লাভ কৰিলে।

---

(১) লিখিবলৈকে লেখনী নচলে! ব্যাসদেৱে এনে অকথনীয় বুৰঞ্জী-তথ্য লিপিবদ্ধ কৰিবলৈকে লাজ পাইছিল। এইখিনিতে ভীষ্মদেৱৰ ন্যায়পৰায়ণতা আৰু দ্ৰোণাচাৰ্য্যৰ নেতৃত্বৰ নৈতিক বিজুনি অযাচিতে আহি-পৰে।

(২) যুদ্ধ আৰম্ভণৰ আগতে উভয় পক্ষৰ সম্মতিক্ৰমে যি হেতুবন্ধন গৃহীত হৈছিল, এই অভিমন্যু-বধ যুদ্ধত তাক চূৰ্ণীকৃত কৰি বতাহত উৰাই দিয়া হল। এতেকে, ইয়াত-পৰ কৌৰৱ কলঙ্ক আৰু কি হব পাৰে?

(৩) দ্ৰোণাচাৰ্য্যৰ প্ৰতিজ্ঞা নৰজিলগৈ। ভীষ্ম-প্ৰতিজ্ঞাৰ বিজুনিত দ্ৰোণাচাৰ্য্যৰ এই অন্তঃসাৰশূন্য প্ৰতিজ্ঞাই তেওঁতকৈ এওঁক বহু তলৰ থাপলৈ নমাইছে।

(৪) নাৰায়ণী সেনাৰ প্ৰত্যেকেই যে স্বয়ং কৃষ্ণসম বীৰ্য্যৱান, সেই কথা কুৰুক্ষেত্ৰ-ৰণলৈ নিমন্ত্ৰণ গ্ৰহণ কৰাৰ সময়ত অৰ্জ্জুন আৰু দুৰ্য্যোধনৰ আগত শ্ৰীকৃষ্ণই স্বীকাৰ কৰাৰ বিষয়ে ইতঃপূৰ্ব্বতে মধ্যলীলা খণ্ডত কোৱা গৈছে।

(৫) শ্ৰীকৃষ্ণই গোকুল, ব্ৰজ আৰু বৃন্দাবনত বিহাৰ কৰা কালত ব্ৰজবাসীৰ বাছকবনীয়া গোপসেনাৰে সৈতে সংসপ্তক বা নাৰায়ণী সেনা গঠন কৰাৰ বিষয়ে আদিলীলা খণ্ডত বহলাই বিবৃতি দিয়া গৈছে।

ইয়াৰ পাচত, কৃষ্ণাৰ্জ্জুন পাণ্ডৱ শিবিৰৰ মুখে উলটিল। উদ্দেশ্য দ্ৰোণাচাৰ্য্যৰ প্ৰতিজ্ঞা ভঙ্গ কৰি পাণ্ডৱৰাজ যুধিষ্ঠিৰক ৰক্ষা কৰা। কিন্তু, পৰিতাপৰ বিষয় যে, শিবিলাক সন্ধিয়াপৰত আহি পোৱাৰ আগতে ইফালে সেই দিনাৰ ৰণৰ সামৰণী পৰিল। পাণ্ডৱ শিবিৰ জঁয় পৰা দেখি আৰু কৌৰৱ শিবিৰত আনন্দৰ জয়ধ্বনি শুনিয়েই অৰ্জ্জুনৰ বুকুত বিষম বিপদৰ আশঙ্কা বাজিবলৈ ধৰিলে। তেওঁ ঘনে ঘনে তেওঁৰ সৰবজ্ঞান সদৃশ্ গুৰু-বান্ধৱ সাৰথি শ্ৰীকৃষ্ণক উদ্বিগ্নভাৱে সোধে, পাণ্ডৱৰ সন্তৰপৰ আপদৰ কথা; —কৃষ্ণ কিন্তু নিৰুত্তৰ! অৱশেষত শিবিৰত প্ৰৱেশ কৰি যি সম্বেদ পালেহি, সি কৃষ্ণাৰ্জ্জুনৰ ওপৰত বজ্ৰপাত পৰাদি পৰিল। অৰ্জ্জুন শোকত অধীৰ হৈ পৰিল। তেওঁ অত্যন্ত বিহ্বল হৈ 'হায় অভিমন্যু' বুলি ঢলি ঢলি পৰিবলৈ ধৰিলে। কৃষ্ণ কিন্তু স্থিৰ, ধীৰ, গহীন, গম্ভীৰ আৰু প্ৰসন্ন। যোগেশ্বৰ শ্ৰীকৃষ্ণ স্বয়ং শোক-মোহৰ অতীত। তেওঁ প্ৰিয় শিষ্য-সখি যোগীবৰ পাৰ্থ বীৰক বুজাবলৈ ধৰিলে,—বুজনি আন বিশেষ একো নহয়,—গীতা বুজনিত তেওঁ যি বিশ্বৰূপ দেখুৱাইছিল, তাৰে সাৰাংশ মাথোন। বুজনি শুনি মহাসংযমী অৰ্জ্জুনে অনতিপলমে ধৈৰ্য্য ধৰিলে, কিন্তু বীৰ তেজেৰে উদ্দীপ্ত হৈ এই বুলি তেওঁ ভীষণ প্ৰতিজ্ঞা কৰি উঠিলে, "কাইলৈ বেলি মাৰ নৌ যাওঁতেই মই জয়দ্ৰথক মাৰ নিযাম; নাইবা জ্বলন্ত অগ্নিত এই তনু ত্যাগ কৰিম।"

অৰ্জ্জুনৰ ভীষণ ভীষ্ম-প্ৰতিজ্ঞাই পাণ্ডৱ শিবিৰ থলক লগাই তুলিলে। সদৌ পাণ্ডৱবাহিনী প্ৰতিশোধজনিত ৰণমদত উন্মত্ত হৈ সিংহ-গৰ্জ্জনেৰে গৰ্জ্জি উঠিল। সন্তপ্ত পাণ্ডৱক আচম্বিতে উদ্দীপ্ত হোৱা শুনি কৌৰৱ শিবিৰত পুনৰপি আতঙ্ক উপস্থিত হল; সামৰিক সমিতিয়ে তাৰ সম্বেদ্ সংগ্ৰহৰ অৰ্থে ততালিকে চোৰাংচোৱা নিয়োগ কৰিলে। কৃষ্ণ কিন্তু গহীন আৰু গম্ভীৰ;—তেওঁ অধিকতৰ চিন্তাযুক্ত। কাৰণ, শ্ৰীকৃষ্ণৰ মনত এটা নতুন সমস্যাই খেলাবলৈ ধৰিলে। এক মনেৰে তেওঁ চিন্তি চাইছে যে, এদিনীয়া নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত জয়দ্ৰথক বধ কৰা অৰ্জ্জুনৰ পক্ষে সহজ ব্যাপাৰ নহয়; আন মনেৰে চাইছে,— প্ৰতিজ্ঞা ৰক্ষা নপৰিলে অৰ্জ্জুনৰ প্ৰাণ ৰক্ষা নপৰে। সমস্যাৰ একূলত জয়দ্ৰথ বধ, ইকূলত অৰ্জ্জুনৰ তনু বিসৰ্জ্জন! দুয়োটা অসাধাৰণ ব্যাপাৰ! উপস্থিত প্ৰয়োজনত জয়দ্ৰথৰ প্ৰাণ ৰক্ষা কৰিবলৈ কৌৰৱপক্ষে প্ৰাণপণে যত্ন কৰিব যে তাত সংশয় নাই; কিয়নো সেয়ে হলেই ইফালে পাণ্ডৱ-পক্ষৰ মূলশক্তি সমূলঙ্কে বিনষ্ট হব, আৰু সিমানতে কুৰুক্ষেত্ৰ-মহাৰণৰো অন্ত পৰিব। ইত্যাদি চিন্তা কৰি, যোগেশ্বৰে নিজ সাৰথি দাৰুকক মতাই আনি এই আদেশ শুনাই থলে, "শুনা দাৰুক! কাইলৈ ৰণক্ষেত্ৰত কৌৰৱ ব্যূহৰ মুখত মোৰ ৰথ সাজু ৰাখিবা নি, যাতে মোৰ পাঞ্চজন্য শঙ্খৰ শবদ শুনা মাত্ৰে তুমি শাৰ্ঙ্গসহ ৰথ নি মোক যোগাবগৈ পাৰা। কিয়নো, কাৰ্য্যৰ গতিক যেনেহে দেখিছোঁ, অৰ্জ্জুনৰ প্ৰাণ ৰক্ষাৰ্থে জয়দ্ৰথ বধ উদ্দেশ্যে মই অস্ত্ৰ ধৰিবগৈ লাগিব নে কি কব নোৱাৰিছোঁ এথোন। ধৰ্ম্মৰাজ্য স্থাপনৰ অৰ্থে প্ৰয়োজন হলে, মই বাধ্য হৈ এই কাৰ্য্য কৰিবই লাগিব।"[১]

পিচদিনা পুৱাৰপৰা 'জয়দ্ৰথ-বধ' ভীষণ ৰণ আৰম্ভ হল। কৌৰৱ পক্ষে অৰ্জ্জুনৰ প্ৰতিজ্ঞা ব্যৰ্থ কৰি তেওঁৰ বধৰ সহজ উপায় চিন্তি জয়দ্ৰথৰ প্ৰাণ ৰক্ষাৰ্থে বিপুল আৰু বিশেষ আয়োজন কৰিলে। কৌৰৱ সেনাপতি দ্ৰোণাচাৰ্য্যই নতুন বিধানেৰে আকৌ নতুনকৈ এখন অভেদ্য ব্যূহ ৰচনা কৰি নিচেই কেন্দ্ৰস্থলত জয়দ্ৰথৰ সুৰক্ষণৰ ব্যৱস্থা কৰিলে। দ্ৰোণ, কৰ্ণ, কৃপাচাৰ্য্য প্ৰভৃতি কৌৰৱৰ ঘাই ঘাই যোদ্ধা-

(১) শ্ৰীকৃষ্ণই কুৰুক্ষেত্ৰ-মহাৰণত অস্ত্ৰ নধৰিবলৈ অৰ্জ্জুন আৰু দুৰ্য্যোধনৰ আগত প্ৰতিশ্ৰুত হোৱা সকলোৱে জানে। গতিকে, তেওঁৰ এই সঙ্কল্পৰ সম্বেদ পাই কোনোৱে তেওঁত প্ৰতিজ্ঞাভঙ্গৰ দোষাৰোপ কৰিব পাৰে। কিন্তু, দকৈ গমি চালে বুজা যাব যে, সেইবাবে শ্ৰীকৃষ্ণত দোষাৰোপ কৰিবলৈ যুক্তি নাই। কিয়নো, তেওঁৰ এই সঙ্কল্পিত ৰণ কুৰুক্ষেত্ৰ-ৰণ নহয়, ই অৰ্জ্জুনৰ পণ ৰাখি তেওঁৰ প্ৰাণ ৰক্ষা কৰা স্বকীয়া উদ্দেশ্যৰ স্বকীয়া ৰণ!—এই ৰণৰ লক্ষ্য হৈছে অৰ্জ্জুনৰ প্ৰাণ ৰক্ষা; কুৰুক্ষেত্ৰ-ৰণৰ লক্ষ্য হৈছে পাণ্ডৱৰ ৰাজ্য উদ্ধাৰ। সি যি হওক, সুখৰ বিষয়, শ্ৰীকৃষ্ণই নিজে অস্ত্ৰ ধৰিব লগীয়া নোহোৱাকৈ স্বকীয়া শক্তিৰেই 'জয়দ্ৰথ বধ' পণ ৰক্ষা কৰাত অৰ্জ্জুন সিদ্ধহস্ত হল।

সকলো জয়দ্ৰথক আগুৰি ধৰি কেন্দ্ৰস্থলত আত্মৰক্ষাৰ্থে সাজু হৈ ৰল, আৰু ব্যূহমুখৰপৰা প্ৰতিপাকতে বাছকবনীয়া যোদ্ধা ৰখীয়া দি পাৰ্থমানে অৰ্জুনৰ ব্যূহপ্ৰবেশ নিষিদ্ধ কৰাৰ দিহা লগোৱা হল। আয়োজন আৰু দিহাকৰণ চাই, বাস্তৱতে অৰ্জুন বা আন মানৱ-ক্ষমতাৰ পক্ষে জয়দ্ৰথ-বধ সাধ্যাতীত যেন বিবেচিত হল। এই ব্যৱস্থাৰ বিৰুদ্ধে এই ভীষণ ৰণ চলিবলৈ ধৰিলে। পুৱাৰপৰা বেলি মাৰ যোৱাৰ অলপ আগলৈকে অকণো বিৰতি নোহোৱাকৈ অৰ্জুনে প্ৰাণপণে ৰণ কৰিলে। সদৌশেহত, সাধাৰণ মানৱৰ অসাধ্য কাৰ্য্য শ্ৰীকৃষ্ণ হেন অসাধাৰণ সাৰথিৰ কৌশলৰ গুণত মহাৰথ অৰ্জুনে মুখামুখি সময়ত, কৌৰৱ পক্ষীয় বিচক্ষণীয়া বীৰ যোদ্ধা সকলোটিকে পৰাস্ত কৰি, নিজৰ পথ নিজে মুক্ত আৰু সুগম কৰি লৈ, অতি হেঁপাহেৰে পুত্ৰবৈৰী জয়দ্ৰথৰ শিৰ[১] সুতীক্ষ্ণ অস্ত্ৰেৰে বিচ্ছিন্ন কৰি অসাধ্য সাধন কৰিলে। জয়দ্ৰথ-বধৰ লগে লগেই দুৰ্য্যোধনৰ আশা-ভৰসা সকলো ক্ৰমাৎ মাৰ যাবলৈ ধৰিলে।

চতুস্ত্ৰিংশ আধ্যা

ঘটোৎকচ্ বধ

কুৰুক্ষেত্ৰ-ৰণ লাগিবৰেপৰা কুৰু-পাণ্ডৱৰ শিবিৰত আনন্দ-বেজাৰ আৰু হিংহা-কন্দাৰ তোলপাৰ লাগিব লাগিছে; আজি পাণ্ডৱ শিবিৰত আনন্দ আৰু কৌৰৱ শিবিৰত বিষাদ, কাইলৈ কৌৰৱ শিবিৰত আনন্দ, পাণ্ডৱ শিবিৰত বিষাদ। দুৰ্জ্জয় বীৰ ভীষ্মদেৱৰ পতনত কৌৰৱ শিবিৰত হুতাশৰ হা-হুমুনিয়া উঠিল, পাণ্ডৱ শিবিৰত উৎসাহৰ খলকনি লাগিল; অৰ্জুনতনয় শিশু-সিংহ অভিমন্যুৰ পতনত পাণ্ডৱ শিবিৰ শোকত জুঁৰ পৰিল, কৌৰৱ শিবিৰ উল্লাহত উধাও হল। তাৰ পাচত, জয়দ্ৰথ-বধ কাণ্ডই কৌৰৱ শিবিৰত আকৌ নিৰাশাৰ হাহাকাৰ লগালে, পাণ্ডৱ শিবিৰত পুনৰপি উল্লাহৰ জয়ধ্বনি তুলিলে।

এইবাৰ আকৌ পাণ্ডৱৰ পাল পৰিল। এইবাৰ ভীমতনয় হিড়িম্বানন্দন ঘটোৎকচ্ ৰণক্ষেত্ৰত অৱতীৰ্ণ। এই হিড়িম্বা আৰু ঘটোৎকচৰ চিনাকি ইতিপূৰ্ব্বতে দি অহা হৈছে[২]। ভীমকায় ঘটোৎকচ্ এজন দুৰ্জ্জয় বীৰ। বাহুবলত, গদাযুদ্ধত পিতৃ ভীমসেনসম যোদ্ধা আৰু ধনুশৰেৰে ৰথযুদ্ধত পিতৃব্য অৰ্জুনৰ তুল্য ধনুৰ্দ্ধৰ। পাণ্ডৱ পক্ষত অভিমন্যু আৰু ঘটোৎকচ্ দুই মহাশক্তি। দুয়ো ৰণপণ্ডিত, শ্ৰীকৃষ্ণৰ শলাগৰ প্ৰিয়পাত্ৰ। জয়দ্ৰথ পতনৰ হুতাশে হেচি ধৰোঁতেই ছেগ বুজি, শ্ৰীকৃষ্ণদেৱৰ সঙ্কেত অনুসৰি, যুদ্ধংদেহি বুলি ঘটোৎকচ্ ৰণক্ষেত্ৰত অৱতীৰ্ণ হলগৈ। ঘটোৎকচক ৰণক্ষেত্ৰত অৱতীৰ্ণ দেখি, কৌৰৱপক্ষীয় সেনানীৰ হৃৎকম্প হবলৈ ধৰিলে। এই ডেকাভীমৰ ঘোৰ আস্ফালন আৰু তৰ্জ্জন-গৰ্জ্জনত কৌৰৱ যোদ্ধাবৰ্গৰ প্ৰাণত আতঙ্ক উপস্থিত হল; দেখিয়েই এভাগ সৈন্যই ভয়তে ভাটী দিলে। এনেতে, দুঃশাসনৰ পুত্ৰ দোষণে ৰথত চৰি ধনুৰ্ব্বাণেৰে ভীমনন্দন ঘটোৎকচক আক্ৰমণ কৰিলেগৈ। ঘটোৎকচে হুঙ্কাৰ ছাৰি খেদি গৈ, গদাৰ কোবত ৰথ ভাঙ্গি চূৰ্ণীকৃত কৰি দোষণক বধ

---

(১) প্ৰক্ষিপ্ত কল্পনাৰ অলৌকিক কাহিনী এটা এই সংসৰ্গত এই দৰে সংযোগ কৰা হৈছে :—জয়দ্ৰথৰ পিতাকে তপস্যাৰ ফলত এনে এটা বৰ লাভ কৰে যে, যি তেওঁৰ পুতেকৰ শিৰচ্ছেদ কৰি মাটিত পেলাব, তাৰো ততালিকে মূৰ ছিগি মাটিত পৰিব। গতিকে, শ্ৰীকৃষ্ণৰ উপদেশ অনুসৰি অৰ্জুনে জয়দ্ৰথৰ বিচ্ছিন্ন শিৰ শৰ-প্ৰচালনেৰে নি ধ্যানমগ্ন জয়দ্ৰথৰ পিতাকৰ কোলাত তুলি দিলেগৈ; তেওঁ ধ্যানভঙ্গ হৈ আছাৰ খাই উঠাত জয়দ্ৰথৰ ছিন্নমুণ্ড বাগৰি মাটিত পৰা মাত্ৰকে পিতাকৰো মূৰটো ছিগি পৰি পিতা-পুত্ৰৰ দুয়ীয়া মূৰ মাটিত বাগৰিবলৈ ধৰিলে। দৃশ্যটো কল্পিত হলেও, অৱশ্যে পুত্ৰশোকসন্তপ্ত অৰ্জুনৰ পক্ষে শান্তিদায়ক হৈছিল।

(২) মধ্যলীলা খণ্ডত যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞৰ সংসৰ্গত হিড়িম্বা আৰু ঘটোৎকচৰ বিষয়ে বহলাই কোৱা হৈছে। পূৰণি কামৰূপৰ অন্তৰ্গত হিড়িম্বা নগৰ, এতিয়াৰ অসমৰ ডিমাপুৰ অঞ্চলৰ অধিপতি হিড়িম্বেশ্বৰৰ ভনীয়েক হিড়িম্বা দ্বিতীয় পাণ্ডৱ ভীমসেনৰ ভাৰ্য্যা; পাণ্ডৱৰ বনবাস কালত ভীমসেনে হিড়িম্বাক পত্নী গ্ৰহণ কৰে। তাৰে ফলস্বৰূপ মহাবীৰ ঘটোৎকচ্।

কৰিলে। কৌৰৱ পক্ষত হাহাকাৰ লাগি উঠিল। পুত্ৰ-বিয়োগত মৰ্ম্মান্তিক হৈ, মৰোঁ-জিওঁকৈ ৰণত চৰি দুঃশাসন স্বয়ং সংগ্ৰামত উপস্থিত হলগৈ; কিন্তু তেওঁ ঘটোৎকচৰ আগত সৰহপৰ তিষ্ঠিব নোৱাৰি ৰণত পিঠি দেখুৱাবলৈ বাধ্য হল। তাৰ পাচত, ৰবিনন্দন কৰ্ণ বীৰ সুতীক্ষ্ণ ধনু-শৰেৰে সমুখ হলহি। কিন্তু, ভীমনন্দনৰ গদা-ঘূৰণিত কৰ্ণৰ শৰ ছিটিকি উফৰিবলৈ ধৰিলে; আৰু শেহান্তত ঠাৱৰিব নোৱাৰি কৰ্ণ পলায়ুৰ্দ্ধং হল। কৰ্ণক বিমুখ হোৱা দেখি কৌৰৱ পক্ষ অত্যন্ত ত্ৰাস্তমান হৈ পৰিল, আনবিলাক ৰণলৈ আগ নবঢ়া হল। এনেতে, ঘাই সেনাপতি দ্ৰোণাচাৰ্য্যক বিমোৰ হোৱা দেখি, তেওঁৰ বীৰপুত্ৰ অশ্বত্থামাই ধনু-শৰ লৈ ৰণত উপস্থিত হলগৈ। ঘটোৎকচেও গদা থৈ ধনু-শৰ ধাৰণ কৰিলে। উভয়ৰে মাজত ঘোৰতৰ দ্বৈৰথ ৰণ লাগিল। শেহান্তত ঘটোৎকচৰ প্ৰকোপ সহিব নোৱাৰি, অশ্বত্থামায়ো ৰণত পিঠি দেখুৱালে! তাৰ পাচত, কৌৰৱ পক্ষক স্তম্ভিত হোৱা দেখি, মহাবলী অলম্বুষ নামেৰে কৌৰৱ পক্ষীয় অসামান্য বীৰ এজনে উত্ৰাৱলভাৱে ধাবিত হৈ ঘটোৎকচৰ ওপৰত পৰিলগৈ। দুইৰো মাজত পোনেই ঘোৰতৰ মল্লযুদ্ধ চলিল। তাৰ পাচত গদাযুদ্ধ, তাৰ পাচত ৰথযুদ্ধ। ঘটোৎকচক জিনিব নোৱাৰি, অনতিপলমে অলম্বুষ পলাই পৰ্ব্বতত উঠিলগৈ, আৰু তাৰপৰা শূন্যে শূন্যে শৰসন্ধান কৰি শত্ৰুক বিবুদ্ধি কৰিবলৈ ধৰিলে। কিন্তু, ঘটোৎকচ সিমানতে হটিবৰ পুৰুষ নহয়, তেওঁ সেই পৰ্ব্বতৰ ওপৰলৈকে খেদি গৈ, তাতে শত্ৰুক আক্ৰমণ কৰিলে। অলম্বুষে নিৰুপায় হৈ আকাশীযুদ্ধ[1] আৰম্ভ কৰিলে। সেই পাকতো ঘটোৎকচ অপৈণত নহয়, তেৰোঁ সেই আকাশীযুদ্ধত প্ৰবৃত্ত হৈ বিপক্ষ যোদ্ধাক অস্থিৰ কৰি তুলিলে, আৰু ভৈয়ামত কৌৰৱ সেনানীৰ ওপৰত অস্ত্ৰ-ওফৰণি, শিলাখণ্ডৰ দলি, যাঠী, জোং আদিৰ প্ৰহাৰে শত্ৰুপক্ষৰ মাজত হাহাকাৰ লগাবলৈ ধৰিলে। এই ৰণ ঘোৰতৰ ভাৱে বহুপৰ চলাৰ পাচত, সদৌশেহত অলম্বুষৰ পতন হল। কৌৰৱৰ শিবিৰত বজ্ৰপাত আৰু পাণ্ডৱৰ শিবিৰত বিজুলীৰ চমকনি হবলৈ ধৰিলে।

অলম্বুষৰ পতনত অত্যন্ত ব্যথিত আৰু কুপিত হৈ, তেওঁৰ পুত্ৰ অলম্বুষিয়ে হস্তী-আৰোহী হৈ বিষম আক্ৰোশেৰে ঘটোৎকচক আক্ৰমণ কৰিলেহি। কিন্তু, তেওঁৰ সেই আক্ৰোশ সৰহপৰ নতিষ্ঠিল; গদাৰ মাৰত ঠাৱৰিব নোৱাৰি আৰোহীসৈতে হাতী পলাই কাট্‌ মাৰিলে। তাৰ পাচত, ৰিবাৰথত চৰি অলাযুধ ৰণলৈ আগ বাঢ়িল। পোনতে দুইৰো মাজত ধনুৰ্ব্বাণেৰে ৰণ চলিছিল; তাৰ ফলত অলাযুধ ৰথৰপৰা বাগৰি মাটিত পৰেহি, তাৰ পাচত, ধনু-শৰৰ সলনি গদাযুদ্ধ চলিবলৈ ধৰিলে। এইবাৰ অলাযুধ ৰণত পৰিল, আৰু ঘটোৎকচৰ জয় নিশ্চয় হল। এনেতে, দুৰ্য্যোধনক অতিকৈ হতাশ হোৱা দেখি, পাণ্ড্য ৰজাই গণ্ডপ্‌ মাৰি ঘটোৎকচক বধ কৰোঁগৈ বুলি আক্ৰমণ কৰেহি। পিচে, তেওঁৰ গণ্ডপ্‌ সৰহপৰলৈ নৰজিল; বৰঞ্চ ঘটোৎকচে উলটি তেওঁকহে বধ কৰিলে। এইবাৰকে নিবাৰ ভাবি দুৰ্য্যোধন হতাশত বিমোৰ হৈ, ইতিপূৰ্ব্বত হোৱা অভিমন্যুবধৰ অবিধি ৰণৰ পুনৰপি অৱতাৰণা কৰিলে। সেই অনুসৰি, জীবিত কৌৰৱ যোদ্ধা সকলোৱে মিলি একেলগে আৰু একেবাহে ঘটোৎকচক বেৰি ধৰি আক্ৰমণ কৰিলেগৈ। কিন্তু, অদ্ভুত গদাবীৰ ভীমনন্দনৰ আগত সেই সম্মিলিত যোদ্ধাগণেও বহুপৰ ঠাৱৰিব নোৱাৰি দিহাদিহি পলাই-পত্ৰং দিলে।

এইবাৰ সঁচাকৈয়ে নিবাৰৰ পাল পৰিল। দুৰ্য্যোধনৰ বুদ্ধিৰ আধা পৰিল; মুখৰ মাত হেৰাল, অঙ্গ-প্ৰত্যঙ্গাদি জঠৰ হল। এনে আসন্ন সময়ত, দ্ৰোণনন্দন অশ্বত্থামাই কৰ্ণৰ ওচৰ চাপি প্ৰস্তাব কৰিলেগৈ যে, এই শেষবাৰৰ নিমিত্তে কৰ্ণ ৰণত প্ৰবৃত্ত হৈ, তেওঁৰ সৰ্ব্বশক্তি প্ৰয়োগ কৰি, হিড়িম্বানন্দনক নিধন কৰকগৈ, নহলে আৰু কৌৰৱৰ নিস্তাৰ নাই। তদুত্তৰত কৰ্ণবীৰে বৰ দুখেৰে মনোভাব ব্যক্ত কৰিলে যে, তেওঁৰ হাতত আৰু একেটি মাথোন

(১) সেয়ে আজিকালিৰ আকাশীযানৰ (এৰোপ্লেন) যুদ্ধ নহয় জানো? পুৰাকালতো যে অদ্ভুত ধৰণৰ বৈজ্ঞানিক প্ৰণালীৰে আকাশীৰণৰ প্ৰচলন আছিল, ই তাৰ বিশিষ্ট প্ৰমাণ।

অমোঘ শৰ-শক্তি বাকী ৰৈছেগৈ,—সেয়ে হৈছে তেওঁৰ "একাঘ্নী অস্ত্ৰ"।[১] এই অস্ত্ৰবাণ তেওঁ অৰ্জ্জুন-বধৰ অৰ্থে সাঁচি থৈছে। এই অস্ত্ৰবিনে অৰ্জ্জুনৰ মৰণ নাই; আৰু এই অস্ত্ৰৰ অবিহনে অৰ্জ্জুনৰ হাতত তেওঁৰ মৰণ নিশ্চয়। যদিহে, দুৰ্য্যোধন প্ৰমুখো কৌৰৱ পক্ষীয় সকলোৱে একমন হয়, তেন্তে এই একাঘ্নী বাণেৰে তেওঁ দুৰ্জ্জয় ভীমতনয় ঘটোৎকচক বধ কৰি কৌৰৱৰ ৰণজয়ৰ আশালৈ পথ মুক্ত ৰাখিবগৈ পাৰে। পিচে, সকলোটি কৌৰৱ যোদ্ধাৰ, বিশেষকৈ দুৰ্য্যোধনৰ সেয়ে মত হোৱাত, মহাবীৰ কৰ্ণই একাঘ্নী অস্ত্ৰ প্ৰয়োগেৰে অদ্ভুত বীৰ ঘটোৎকচক বধ কৰিলেগৈ। কৌৰৱ শিবিৰত পুনৰপি সঞ্জীৱনী শক্তিৰ সঞ্চাৰ হল। পাণ্ডৱ শিবিৰত কিন্তু ই দ্বিতীয় দুৰ্ঘটনাৰূপে অনুমিত হল। অভিমন্যু-বধৰ দুৱাৰমুখৰ কাৰণ স্বৰূপ, জয়দ্ৰথ-বধ উদ্দেশে অৰ্জ্জুন যি ভাবে উত্তাৱল হৈ উঠিছিল, ঘটোৎকচবধী কৰ্ণক বধ কৰিবলৈকো ভীমসেন প্ৰজ্জ্বলিত হুতাশনৰ দৰে উৎবাউল দি জ্বলি উঠিল। তেওঁৰ সঘন হুঙ্কাৰত আকাশ প্ৰতিধ্বনিত হল, তেওঁৰ গৰ্ব্বভেদী গোৰোহনীত মেদিনী কঁপিবলৈ ধৰিলে। বৃকোদৰৰ সেইক্ষণৰ গৰ্জ্জনৰ আগত ওলাই, তেওঁক শান্ত কৰা নিলগতে থাওক, ক্ষান্ত কৰিবলৈকো ওলাওঁতা নোহোৱা হল। মাথোন সমজ্ঞানী, সমদৰ্শী, সকলোৱে ইচ্ছাৰ ওপৰত সমানে স্ব-ইচ্ছাৰ বল প্ৰয়োগ কৰিবৰ ছেগ বুজা, বুদ্ধিস্বৰ্গ-নাৰায়ণ, বাক্‌সিদ্ধ, ভগৱন্ত শ্ৰীকৃষ্ণই ভীমসেনৰ ৰোষ আৰু আক্ৰোশৰ ওপৰত যোগ্য বুজনি-বচনেৰে শান্তিপানী ঢালিলেগৈ। প্ৰত্যুৎপন্নমতি দৈৱকীনন্দন বাসুদেৱে কুন্তী-নন্দন ভীমসেনক এটি মাথোন প্ৰশ্ন কৰিলে, "তেওঁৰ মানত অধিক প্ৰাণাধিকজন কোন?—অৰ্জ্জুন নে ঘটোৎকচ?" প্ৰশ্ন শুনি, ভীমসেন প্ৰকৃতিস্থ হল। তাৰ পাচত, শ্ৰীকৃষ্ণই এই মৰ্ম্মে বুজনি দিলে যে, ঘটোৎকচ বধে কৰ্ণৰ একাঘ্নী অস্ত্ৰ ক্ষয় নকৰা হলে, অৰ্জ্জুনবধ নিশ্চয় হৈ আছিল। বুদ্ধিৰ সাগৰ, শান্তিৰ আধাৰ শ্ৰীকৃষ্ণদেৱৰ বুজনিত কদ্ৰহেন উগ্ৰ ভীমসেন বিক্ষুব্ধ শান্ত হৈ পৰিল।

পঞ্চত্ৰিংশ আধ্যা

দ্ৰুপদ আৰু ভগদত্তৰ পতন

নাৰায়ণী বা সংসপ্তক সেনাৰ সৈতে ৰণত প্ৰবৃত্ত হৈ কৃষ্ণাৰ্জ্জুন আঁতৰি থকাৰ ছেগতে, ইফালে ঘাই ৰণক্ষেত্ৰত অভিমন্যু-বধ ঘটনাৰে সৈতে লগালগিকৈ ভালেমান দ্বৈৰথ ৰণ লাগে, আৰু দুয়োপক্ষৰে কেইবাজনো প্ৰখ্যাত অসামান্য বীৰ যোদ্ধাৰ পতন হয়। সেই পতনৰ ভিতৰত ঘটোৎকচ বধৰ বৰ্ণনা ইয়াৰ আগৰ আধ্যাত দিয়া হৈছে; তাৰ উপৰি, পাঞ্চালৰ অধিপতি দ্ৰুপদ ৰজা আৰু কামৰূপৰ অধীশ্বৰ ভগদত্ত ৰজাৰ পতন উল্লেখযোগ্য।

সেই ছেগতে, সমানে-সমানে হোৱা দ্বৈৰথ ৰণৰ ভিতৰত এইবোৰ উল্লেখযোগ্য:—যেনে, ভীমসেন আৰু দুৰ্য্যোধনৰ মাজত দুৰ্ঘোৰ গদাযুদ্ধ; কৰ্ণ আৰু সাত্যকিৰ মাজত তয়াময়া বাণযুদ্ধ; দ্ৰোণ আৰু ধৃষ্টদ্যুম্নৰ মাজত ধনুৰ্ব্বাণ আৰু বিবিধ অস্ত্ৰযুদ্ধ; সোমদত্ত আৰু বিৰাট, শকুনি আৰু সহদেৱ, নকুল আৰু দুঃশাসন, যুধিষ্ঠিৰ আৰু মদ্ৰৰাজ, শিখণ্ডী আৰু অশ্বত্থামা, কৃপাচাৰ্য্য আৰু জৰাসন্ধ-তনয়, কৃতবৰ্ম্মা আৰু চেকিতন, কাশীৰাজ আৰু সুমন্ত নৃপতি, পৌৰৱ আৰু শতানীকৰ মাজত বিবিধ অস্ত্ৰযুদ্ধ। এই সমস্তৰ মাজত দ্ৰুপদ আৰু ভগদত্তৰ মাজত লগা ৰণ আৰু সিবিলাকৰ পতনৰ বিবৃতি অলপ বহলাই কোৱাৰ প্ৰয়োজন; কিয়নো এই দুজন ৰজাৰ লগত কুৰুক্ষেত্ৰ-ৰণ-ৰথৰ চকৰি স্বৰূপ শ্ৰীকৃষ্ণৰ ঘনিষ্ঠ সম্পৰ্ক ৰৈছে। পাণ্ডৱপত্নী কৃষ্ণা-দ্ৰৌপদীৰ সম্পৰ্কত পাঞ্চালপতি দ্ৰুপদ ৰজাৰ লগত আৰু কামৰূপেশ্বৰ নৰকাসুৰ-বধৰ সংসৰ্গত কামৰূপৰ

(১) একাঘ্নী বা একেঘাতী অস্ত্ৰৰ আমোঘ শক্তি। এই অস্ত্ৰ যাৰ প্ৰতি প্ৰহাৰ কৰা হয়, তাৰ নিষ্কৃতি নাই। কিন্তু, ইয়াক কেৱল একৰ প্ৰতি একেবাৰ মাথোন প্ৰয়োগ কৰা যায়। কল্পিত প্ৰক্ষিপ্তত আছে যে, এই একাঘ্নী অস্ত্ৰ কৰ্ণই কবচ দান কৰি ইন্দ্ৰৰপৰা প্ৰতিদানত লাভ কৰিছিল। এই বিষয়ক সুদীৰ্ঘ অদ্ভুত কাহিনীৰ ঠাই ই নহয়। এই সংসৰ্গত শ্ৰীকৃষ্ণৰ সম্বন্ধও বিশেষ একো নাই।

অধিপতি ভগদত্ত ৰজাৰে সৈতে যাৰকেশ্বৰ শ্ৰীকৃষ্ণৰ পুৰণি চিনাকি। বিশেষতঃ, ভগদত্ত বাসুদেৱ শ্ৰীকৃষ্ণই পতা ৰজা হে।

দ্ৰুপদ আৰু ভগদত্তৰ মাজত যথাবিধি তুমুল সংগ্ৰাম তন্ময়াকৈ চলিবলৈ ধৰিলে। দুয়ো দুইতকৈ চৰা, কেৱে কাকো পেলব পাৰা নাই। এনে সমনীয়া যোদ্ধাদ্বয়ৰ মাজত একেবাহে বহুপৰ ৰণ চলিছে, কিন্তু কোনো পক্ষ নভৰায়, নপলায় আৰু নপৰেও। সদৌশেহত, বৃদ্ধ দ্ৰুপদ-ৰাজ ভাগৰিলগৈ, ভগদত্তৰ অৰ্দ্ধচন্দ্ৰ বাণাহত হৈ তেওঁ ৰণত পৰিল। পাঞ্চালপতিৰ পতনত পাণ্ডৱ শিবিৰ শোকাকুল হৈ পৰিল। পিতৃপ্ৰতিম শহুৰদেৱতা দ্ৰুপদ ৰজাৰ বিয়োগত ধৰ্মৰাজ যুধিষ্ঠিৰ প্ৰমুখ্যে পঞ্চপাণ্ডৱ, বিশেষকৈ পাণ্ডৱৰ প্ৰধান সেনাপতি ধৃষ্টদ্যুম্ন পিতৃবিয়োগত শোক-বিহ্বল হৈ পৰিল।

জয়দ্ৰথ বধ প্ৰতিজ্ঞা পূৰ্ণ কৰি উঠিয়েই, অৰ্জ্জুনে শহুৰ-হন্তা ভগদত্তক আক্ৰমণ কৰিলেগৈ। ভগদত্ত কিন্তু সাধাৰণ বীৰ নহয়, তেওঁৰ বলবীৰ্য্যৰ বিষয়ে স্বয়ং শ্ৰীকৃষ্ণই হে স্বৰূপকৈ জানে। সেই কাৰণে আৰম্ভণতে বাসুদেৱে অৰ্জ্জুনক বিশেষ সতৰ্কতাৰে সৈতে ৰণ কৰিবলৈ সাৱধান কৰি দিলে। দুয়োপক্ষৰ মাজত বহুপৰ ৰণ হল, কিন্তু কেৱে কাকো পেলাব নোৱাৰে। সদৌশেহত অৰ্জ্জুন অৱশ হৈ পৰিল। সেই ছেগতে ভগদত্তই বৈষ্ণৱ-শৰ নামে[১] বাণ মাৰি অৰ্জ্জুনক বধে-বধে! এনেতে, কৃষ্ণ-ৰণ-ৰথ-কৌশলৰ ফেৰত উলটি অৰ্জ্জুনৰ বাণত ভগদত্তৰ হে পতন হয়।

ষট্‌ত্ৰিংশ আধ্যা

দ্ৰোণ-বধ

দ্ৰোণাচাৰ্য্যৰ প্ৰধান সেনাপতিত্বত কুৰু-পাণ্ডৱৰ মহাৰণৰ পাঁচ দিন পাৰ হৈ গল! ইয়াৰ ভিতৰত কোন্ পক্ষৰ জয়, কোন্ পক্ষৰ পৰাজয় তাৰ একো নিৰ্ণয় কৰিব পৰা নাযায়। দুয়ো পক্ষৰ সমান লাভ, সমান ক্ষতি; কালি এপক্ষৰ এজন প্ৰখ্যাত মহাযোদ্ধাৰ পতন হৈছিল যদি আজি ইপক্ষৰ এজন সমকক্ষীয় যোদ্ধাৰ পতন হৈছে। এই অনুক্ৰমে পাঁচদিন কুৰুক্ষেত্ৰত কুৰু-পাণ্ডৱৰ মহাৰণ ভীষণ-ভাৱে পাৰ হৈ গৈ, ষষ্ঠ দিনত উপস্থিত। এই দিনেই দ্ৰোণাচাৰ্য্যৰ প্ৰধান দিন।

ভগদত্তৰ পতনত কৌৰৱ শিবিৰ অতিকৈ শোকত সন্তপ্ত আৰু ক্ৰোধত উন্মত্ত হল। পোন্-প্ৰথমে তাৰ চিন্ দুৰ্য্যোধনত লক্ষিত হয়। শোকত সন্তপ্ত আৰু ক্ৰোধত উন্মত্ত হৈ, পৰম মিত্ৰ কামৰূপেশ্বৰ ভগদত্তহন্তাক প্ৰতিশোধ দিয়াৰ উদ্দেশ্যে অশ্বত্থামা নামেৰে মহাহস্তীত আৰোহণ কৰি, গদা-শৰেৰে সুসজ্জিত হৈ, অৰ্জ্জুনক আক্ৰমণ কৰিবলৈ দুৰ্য্যোধন উভ্ৰাৱল হৈ আগ বাঢ়িছে, এনেতে আদবাটতে যমদণ্ডহেন গদা জোকাৰি ভীমসেনে আগছি ধৰিলে। ক্ৰোধান্ধ দুৰ্য্যোধনে হাতীৰপৰা নামি, অনতিপলমে ভীমসেনৰে সৈতে ভয়ঙ্কৰ গদাযুদ্ধ পাতিলে। ভালেমানপৰ এই দুজন প্ৰখ্যাত গদাবীৰৰ মাজত তুমুল যুদ্ধ চলিছে, কেৱে কাকো জিনিব পৰা নাই। কিন্তু, সদৌশেহত দুৰ্য্যোধন ঠাৱৰিব নোৱাৰি প্ৰাণ লৈ পলাবলৈ বাধ্য হল। অশ্বত্থামা হস্তীক তাতে ভীমে গদাৰে কোবাই বধিলে।[২]

দুৰ্য্যোধনে ৰণত পিঠি দিয়া দেখি, ক্ৰোধত অধীৰ দ্ৰোণাচাৰ্য্যাই স্বয়ং উৱাৰত হৈ গৈ ভীমসেনক আক্ৰমণ কৰিলে। সেই সময়ত ভীম গদাযোদ্ধা মাথোন; কিন্তু দ্ৰোণাচাৰ্য্যাই তেওঁক অতি তীক্ষ্ণ বাণেৰে ক্ষতবিক্ষত কৰিবলৈ ধৰিলে, ভীমে গদা ঘূৰাই পাৰ্য্যমানে সেই বাণ ওকৰাব লাগিছে, কিন্তু দ্ৰোণ-বাণ অন্ত নপৰে। পাচলৈ ভীমসেনে অসহ্য বোধ কৰি, অন্যায় যুদ্ধ কৰাৰ বাবে দ্ৰোণাচাৰ্য্যক অশেষ গৰিহণা দিবলৈ ধৰিলে। নিজে অস্ত্ৰগুৰু হৈ, ছেগ ধৰি অভেদ্য ব্যূহ ৰচনা কৰি, সপ্তৰথীয়ে বেৰি ধৰি, ঘোৰ অন্যায় যুদ্ধ কৰি, ষোল বছৰীয়া শিশুযোদ্ধা

(১) অভিমন্যু বধ আধ্যাৰ (৩২ আধ্যা) টীকা চোৱাঁ।

(২) মহাভাৰতৰ দ্ৰোণ-পৰ্ব্বত "অশ্বত্থামা হত ইতি গজঃ" এই বচনমূলক কল্পিত প্ৰক্ষিপ্ত কাহিনীৰ এয়ে আতি-গুৰি। ইয়াৰ পাচত এই বিষয়ক বহুল টীকা দিয়া হৈছে।

অভিমন্যুক বধ কৰা দুৰপণেয় পাপৰ কথা স্মৰণ কৰাই, দ্ৰোণাচাৰ্য্যক ভীমে গদাঘাত সদৃশ্ কৰ্কৰ্থনা কৰিলে। ভীমে আৰু কবলৈ ধৰিলে যে, ব্ৰাহ্মণ পণ্ডিতে পাৰ্য্যমানে প্ৰাণী হিংসা নকৰে; কিন্তু দ্ৰোণে স্বাৰ্থসিদ্ধিৰ অৰ্থে আৰু পুত্ৰৰ কল্যাণাৰ্থে, অন্যায়-অবিধিকৈ দেৱাস্ত্ৰ প্ৰয়োগ কৰি, হাজাৰ-বিজাৰ নৰহত্যা কৰিব লাগিছে; পৰম ধৰ্ম্মাত্মা মহামতি ভীষ্মদেৱৰ আগিৰে প্ৰতিজ্ঞা প্ৰচাৰ কৰিও পাণ্ডৱ-ৰাজ যুধিষ্ঠিৰক বন্দী কৰা চেষ্টাত ব্যৰ্থ হৈ, স্বকৃত প্ৰতিজ্ঞা ভঙ্গ কৰিও দ্ৰোণ লজ্জিত হোৱা নাই! ইত্যাদি বিস্তৰ গৰিহণা দি, ভীমে দ্ৰোণ হেন মহাপাপীৰ লগত যুদ্ধ কৰা বিধেয় নহয় বুলি নিৰস্ত্ৰ হবলৈ ধৰিছে[1], এনেতে অৰ্জ্জুনে আহি ভীমৰ ঠাই ললেহি। দ্ৰোণ আৰু অৰ্জ্জুনৰ মাজত তুমামুমা ৰণ হল। এই দুজন বিচক্ষণীয়া ধনুৰ্দ্ধৰৰ ধনুৰ্ব্বাণৰ কটাকটিত বিজুলী চমকিবলৈ ধৰিলে, দৰ্শকবৃন্দ ত্ৰাহি ত্ৰাহি হল। বহুপৰলৈকে ৰণ চলিব লাগিছে, কিন্তু কোনো পক্ষ পৰাস্ত নহয়। সদোশেহত, গুৰু-শিষ্যৰ[2] মাজত ক্ৰমে অমানুষিক ৰণ লগাত দৰ্শকবৃন্দে হৰি-হৰি কৰা দেখি, অৰ্জ্জুন আপোন ইচ্ছাৰে ক্ষান্ত হৈ আঁতৰি গুচি গল।[3]

অৰ্জ্জুনে বিৰক্তিৰ ভাৱত উচাৎ মাৰি ৰণলৈ পিঠি দি গুচি যোৱা কাৰ্য্যে দ্ৰোণাচাৰ্য্যৰ অন্তৰত হঠাৎ অনুশোচনা আৰু ধিক্কাৰৰ ভাৱ উদ্ৰেক কৰিলে। তেওঁ চমক্ আৰু ঠমক্ খাই ভালেখিনি পৰলৈকে ঠৰ লাগি ৰল। তাৰ পাচত, ভীমসেনৰ গৰিহণা আৰু অৰ্জ্জুনৰ অৱজ্ঞা প্ৰদৰ্শনে তেওঁক ইতিপূৰ্ব্বৰ নিন্দনীয় আৰু পাপ কাৰ্য্য এটা-এটাকৈ সোঁৱৰাবলৈ ধৰিলে। তেওঁ ঘাই সেনাপতিৰ বাব গ্ৰহণ কৰাৰপৰা যিখিনি অখ্যাতিৰ কাৰ্য্য সংঘটিত হৈ গৈছে, আৰু হব লাগিছে, তাৰে সৈতে ইতঃপূৰ্ব্বত ভীষ্মদেৱৰ সেনাপতিত্বত সম্পাদিত হোৱা প্ৰশংসনীয় আৰু পুণ্যশীল কাৰ্য্যাৱলী বিজাই চাই দ্ৰোণে আপোনাকে আপুনি মনে মনে ধিক্কাৰ দিবলৈ ধৰিলে। ভাবি ভাবি সৰ্ব্বজানিক গৰিহণাৰ ভাৰ তেওঁ ভাবিবলৈ ধৰিলে। গুণী, মানী, পূজ্য, পণ্ডিত ব্ৰাহ্মণ হৈ দ্ৰোণাচাৰ্য্য তেনেবোৰ পাপ কাৰ্য্যত লিপ্ত হোৱা দেখি সহিব নোৱাৰি, তেওঁৰ সমনীয়া ঋষি-মুনি বিশ্বামিত্ৰ, জমদগ্নি, ভৰদ্বাজ, গৌতম, বশিষ্ঠ, অত্ৰি, অঙ্গিৰা, মৰীচি প্ৰভৃতিয়ে তেওঁক সাক্ষাৎ দি, তেওঁক যেন এই বুলি জ্ঞান দান কৰিছেহি, "হে দ্ৰোণ! তুমি অধৰ্ম্ম যুদ্ধ কৰিছা; গতিকে তোমাৰ অন্তিম সময় উপস্থিত হৈছে। তুমি আৰু এনে কাৰ্য্যত নিযুক্ত থকা উচিত নহয়। তুমি বেদবেদাঙ্গবেত্তা আৰু সত্যধৰ্ম্মপৰায়ণ হৈ, এনেকুৱা পাপ-কাৰ্য্যত লিপ্ত থকা নিতান্ত অনুচিত। তোমাৰ মৰ্ত্ত্যবাসৰ কাল আজি পূৰ্ণ হৈছে। হে বিপ্ৰ! গমি চোৱাঁ, তুমি অস্ত্ৰগুৰু হৈ অস্ত্ৰত অনভিজ্ঞ হাজাৰ-বিজাৰ লোক ব্ৰহ্মাস্ত্ৰেৰে বধ কৰা কিমান অঘাইত্ পাপ-কাৰ্য্যৰ অনুষ্ঠান কৰিছা! এতেকে, যুদ্ধৰ সাজ-সমল অনতিপলমে পৰিত্যাগ কৰি, আত্মপ্ৰয়াণৰ অৰ্থে সাজু হোৱাঁ।"[4] ইয়াৰ লগৰীয়া হৈ, আৰু অনেক বৈৰাগ্য ভাবে দ্ৰোণাচাৰ্য্যৰ অন্তৰত খেলাবলৈ ধৰিলে। সেই ভাবৰ জালত বিমোৰ হৈ, তেওঁ অস্ত্ৰ-শস্ত্ৰ পেলাই দি ভগৱন্ত বাসুদেৱ শ্ৰীকৃষ্ণক চিন্তিবলৈ ধৰিলে।[5] দ্ৰোণাচাৰ্য্যক বধ কৰিবলৈ ধৃষ্টদ্যুম্নৰ পক্ষে ই এটা ভাল চল লাগিছিল, কিন্তু যথাসময়ত তেওঁ সাজু হৈ উঠিব নোৱাৰাত সেই ছেগ হেৰাল। শ্ৰীকৃষ্ণই আৱলৰপৰা দেখা দি, সঙ্কেতেৰে উতঙনি দিয়াত, মহাৰথ দ্ৰোণাচাৰ্য্য ৰণোমত্ত হৈ পুনৰপি ৰণত প্ৰবৃত্ত হল।

---

(১) প্ৰক্ষিপ্ত ৰচনাত ভীমৰ এই নিৰস্ত্ৰ অৱস্থাক পলায়ন বুলি বৰ্ণনা কৰা হৈছে। কিন্তু, ভীমৰ পলায়ন, ভীমৰ প্ৰতিজ্ঞাভঙ্গ ইত্যাদি নিচেই অসঙ্গত কথা।

(২) দ্ৰোণাচাৰ্য্য অৰ্জ্জুনৰ অস্ত্ৰগুৰু; অৰ্জ্জুন দ্ৰোণাচাৰ্য্যৰ অতি প্ৰিয় শিষ্য।

(৩) প্ৰক্ষিপ্তত এইখিনিতে অজেয় অৰ্জ্জুনৰো পলায়ন নিৰ্দ্দেশ কৰিছে!

(৪) মহাভাৰত, দ্ৰোণপৰ্ব্ব, দ্ৰোণবধ আধ্যা।

(৫) দ্ৰোণাচাৰ্য্য এই ভাবাপন্ন হোৱাৰ কাৰণ কেইবা-ভাৱেও নিৰ্দ্দেশ কৰা হৈছে; সেই নিৰ্দ্দেশেও মহাভাৰতত ঠাই পাইছে, যদ্যপি সি মূল মহাভাৰতৰ ব্যাসবৰ্ণিত বিষয় বুলি মানিবলৈ যুক্তিয়ে বাট এৰি নিদিয়ে। তাৰ ভিতৰত এই এটাই কিম্বদন্তীত দকৈ শিপাই ঠাই লৈছে:—যেনে, দ্ৰোণাচাৰ্য্যৰ ব্ৰহ্মাস্ত্ৰৰ আগত যেতিয়া কাৰো ৰক্ষা

হাতিমধ্যত যুদ্ধকৰ্ত্তা যুধিষ্ঠিৰে পাণ্ডৱ যোদ্ধাগণক এই বুলি উত্তেজিত কৰি আগুৱাই পঠিয়ালে, "হে বীৰগণ! তোমালোকে পৰম উলাহেৰে শত্ৰু সেনাপতি দ্ৰোণাচাৰ্য্যক আক্ৰমণ কৰিবলৈ আগ বাঢ়া। মহাবীৰ ধৃষ্টদ্যুম্নই আজি দ্ৰোণাচাৰ্য্যক বধ কৰিবলৈ দৃঢ় সংকল্প কৰি ৰণত প্ৰবৃত্ত হৈছে। আজি তেওঁৰ যুদ্ধৰ গতি-গোত্ৰ দেখি ফটকটীয়াকৈ বুজা গৈছে যে, দ্ৰোণাচাৰ্য্যক নিপাত কৰিবলৈ তেওঁ প্ৰাণ-পণে যুঁজিব। এতেকে, তোমালোকে অতি উলাহেৰে আগ বাঢ়ি গৈ, সকলোৱে মিলি ৰণ কৰিবলৈ ধৰাঁগৈ।" সেই অনুসৰি, পাণ্ডৱ পক্ষীয় যোদ্ধাসকল উৎসাহিত হৈ, দ্ৰোণাচাৰ্য্যক লক্ষ্য কৰি, অগ্ৰসৰ হল।

ইফালৰপৰা মহাৰথ দ্ৰোণাচাৰ্য্যয়ো মনে মনে নিজৰ মৰণ আহ্বান কৰি[1] অতি বেগেৰে শত্ৰুক আগ বাঢি গৈ ধৰিবলৈ চোচা ললে। গা-ঘঁহনিত তেওঁৰ অস্ত্ৰ-শস্ত্ৰ সমস্ত জলন্ত জুই-আঙনিৰ দৰে জলিবলৈ ধৰিলে, ৰথৰ ভিতৰত এটা অতি ৰোমাঞ্চক ভীষণ শব্দ উঠিল, তেওঁৰ বাওঁচকু আৰু বাওঁবাহু আচম্বিতে লৰিবলৈ ধৰিলে। তথাপি, তেওঁ প্ৰাণটাকি যুঁজিবলৈ নেৰিলে, আকৌ তেওঁ ডেৰকুৰি হাজাৰমান শত্ৰুসেনা বধ কৰিলে।[2] মহাযোদ্ধা অস্ত্ৰগুৰু দ্ৰোণাচাৰ্য্যৰ প্ৰচণ্ড তেজ সহিব নোৱাৰি ধৃষ্টদ্যুম্ন অস্থিৰ হৈ পৰিল। এনেতে, ভীমসেনে ধৃষ্টদ্যুম্নক সহায় কৰাৰ উদ্দেশ্যে উত্তাৱল হৈ গৈ গদাযুদ্ধ আৰম্ভ কৰিলে; তেওঁ দ্ৰোণাচাৰ্য্যৰ ৰথৰ নিক্ষিপ্ত প্ৰকাণ্ড পৰ্য্যন্ত গদাঘূৰণিৰে সৈতে গুৰুবাই পঠিয়াই, আকৌ আগৰ গৰিহণা তীব্ৰভাৱে সোঁৱাৰিবলৈ ধৰিলে। দ্ৰোণাচাৰ্য্যৰ অন্তৰত উমাই জলি থকা অনুতাপৰ জুই আকৌ ভমককৈ জ্বলি উঠিল; তদুপৰি ভীমসেন আৰু ধৃষ্টদ্যুম্ন হেন দুজন মহাবাহু আৰু মহাৰথৰ লগত যুঁজি যুঁজি দ্ৰোণাচাৰ্য্য নিতান্ত কাতৰ হৈ পৰিল, আৰু তাৰ লগে লগে মৰণ বাঞ্ছাই তেওঁৰ অন্তৰত প্ৰবল ভাৱে খেপাবলৈ ধৰিলে। তেওঁৰ একান্ত ইচ্ছা যে, অধৰ্ম্ম যুদ্ধ কাৰ্য্যত লিপ্ত থকাতকৈ যেন অনতিপলমে তেওঁৰ মৰণ মিলে। এই বাঞ্ছাৰে সৈতে দ্ৰোণাচাৰ্য্যই ধৃষ্টদ্যুম্নৰ প্ৰতি হৃষ্টচিত্তেৰে নিৰীক্ষণ কৰি লৈ, মনতে ভীমৰ গৰিহণা আৰু ঋষি-মুনিসকলৰ সাধুবাক্য স্মৰণ কৰি, ধৰ্ম্মযুদ্ধত একান্ত মনেৰে প্ৰবৃত্ত হল।

ইয়াৰ পাচৰপৰা দ্ৰোণাচাৰ্য্যই উদাসীনভাৱে যুদ্ধ কৰিবলৈ ধৰিলে। কৰ্ত্তব্যৰ শাসন এৰাব নোৱাৰি তেওঁ তেতিয়ালৈকে অস্ত্ৰ-শস্ত্ৰ পেলাব পৰা নাই সঁচা, কিন্তু শাৰীৰিক আৰু মানসিক অতিক্ৰমৰ ফলত, তেওঁ ক্ৰমাৎ দুৰ্ব্বল আৰু তেজোহীন হৈ আছিল; তেওঁৰ যুদ্ধ ক্ৰমাৎ মৃদু

নোহোৱাত পৰিল, আৰু পাণ্ডৱ ৰণবল সমূলঞ্চে নাশ হয়-হয় যেন হল, তেতিয়া শ্ৰীকৃষ্ণৰ বুদ্ধি অনুসৰি প্ৰবঞ্চনাৰে সৈতে দ্ৰোণাচাৰ্য্যক নিৰস্ত্ৰ কৰাবৰ যুগুতি কৰা হল। সেই উদ্দেশ্যে, ইতিপূৰ্ব্বত ভীমসেনে বধ কৰা অশ্বত্থমা নামেৰে হাতীটোৰ মৰণ-সংবাদ দ্ৰোণাচাৰ্য্যক এনেভাৱে জনোৱা হল যে, তেওঁ সেই অশ্বত্থমা হস্তীক তেওঁৰ পুত্ৰ অশ্বত্থমা বুলি ভাবি শোকত বিমোৰ হল, আৰু অস্ত্ৰ-শস্ত্ৰ পৰিত্যাগ কৰি হতাশৰ খুন্দাত জঠৰ হৈ ৰয়। তৎপূৰ্ব্বতে এই সংবাদৰ যথাৰ্থতা নিশ্চয় কৰাৰ অৰ্থে, ধৰ্ম্ম-যুধিষ্ঠিৰকো সোধা হৈছিল; তেৰোঁ হেনো কপটাচৰণেৰে "অশ্বথামা হত ইতিগজঃ" বুলি প্ৰকাৰান্তৰে মিছা সমিধান দিলে। কিন্তু, মূল মহাভাৰতত এই বুলিহে আছে,—"অসত্যমভয়ে ভগ্নোজয়ে সক্তো যুধিষ্ঠিৰঃ, অব্যক্তমব্ৰবীদ্বাক্য হতঃ কুঞ্জৰ ইত্যুত।"—১৯১। পিচে, কথা হৈছে, এনে অন্যায়, অধৰ্ম্ম আৰু নীচ কাৰ্য্যলৈ পৰম পৱিত্ৰ শ্ৰীকৃষ্ণ আৰু পৰম ধাৰ্ম্মিক ধৰ্ম্ম-যুধিষ্ঠিৰৰ প্ৰবৃত্তি হোৱা সম্ভৱ নে? যি শ্ৰীকৃষ্ণই ইতঃপূৰ্ব্বতে গীতাৰ তৃতীয় আধ্যাত, ২০—২৩ শ্লোকৰ মাজত, এইভাৱে কৈ আছিছে, "ত্ৰিভুবনত মোৰ একো কৰ্ত্তব্য নাই, তথাপি মই কাৰ্য্য কৰোঁ। কিয়নো, মই যদি এই জ্ঞানত কৰ্ম্মানুষ্ঠান নকৰাকৈ থাকোঁ, কিম্বা কিবা অকৰ্ম্মানুষ্ঠান কৰোঁ, তেন্তে মানুহে সৰ্ব্বতোভাৱে মোৰ পটন্তৰত ধৰি অকৰ্ম্মা বা কুকৰ্ম্মা হব।" যি ধৰ্ম্মাত্মাৰ এই ধাৰণৰ মতিস্থিৰ, সেই আত্মগুণী ব্ৰহ্মদৰ্শী আদৰ্শ পুৰুষৰ পক্ষে উল্লিখিত নীচ কু-পৰামৰ্শ দিয়াটো সম্ভৱপৰ বুলিনো কেনেকৈ পতিয়া যায়? গতিকে, ইয়াক 'কাণখোৱা' সাধুকথাৰ মোনাত ভৰাই থোৱাই যুগুত।

(১) এহাতে ঋষি-মুনিসকলৰ জ্ঞানোপদেশ আৰু ভীমৰ অসহনীয় গৰিহণা, আনহাতে এবাৰ যাইসেনাপতিৰ ৰাব গ্ৰহণ কৰি ৰণত পৰাঙ্মুখ হোৱাতকৈ দ্ৰোণাচাৰ্য্যই তেওঁৰ পক্ষে মৰণেই শ্ৰেয়ঃ বুলি ভাবিছিল।

(২) মহাভাৰত, দ্ৰোণপৰ্ব্ব, দ্ৰোণবধ আধ্যা।

হৈ পৰিবলৈ ধৰিলে। এইদৰে এই অৱস্থাৰে যুদ্ধ কৰোঁতে কৰোঁতে শেহলৈ তেওঁ নিতান্ত অৱশ হৈ পৰিলগৈ। সৰ্ব্বোশেহত, অন্তিম ক্ষণ গণি চকু মুদি পৰমগুৰু শ্ৰীকৃষ্ণদেৱক[১] ধ্যান কৰিবলৈ ধৰিলে। সেই যোগাৱস্থাত ভগৱন্ত চিন্তাত তন্ময় হৈ থাকোঁতেই, দ্বিতীয়বাৰৰ ছেগ ধৰি, ধৃষ্টদ্যুম্নই পূৰ্ব্বপ্ৰতিশ্ৰুতি অনুযায়ী,[২] নিজৰ ধনুৰ্ব্বাণ একলীয়াকৈ থৈ, হাতত খোলা তৰোৱাল লৈ, ৰথৰপৰা সবেগে আৰু উদ্বেগেৰে নামি গৈ, যোগস্থিত দ্ৰোণাচাৰ্য্যৰ শিৰচ্ছেদ কৰি, তেওঁক বধ কৰিলে। সেই সংবাদত কৌৰৱ শিবিৰত হাহাকাৰ লাগি উঠিল, দুৰ্যোধন হতাশ হৈ পৰিল, আৰু অন্ধৰাজ ধৃতৰাষ্ট্ৰই বিস্তৰ বিলাপ কৰিবলৈ ধৰিলে। পাণ্ডৱ শিবিৰত সেই সংবাদে আনন্দ আৰু বেজাৰ দুইবো বিকাৰাছন কৰিলে। শত্ৰুপক্ষৰ থাই সেনাপতিৰ পতন হিচাপে, পাণ্ডৱ শিবিৰত আনন্দৰ ঢৌ উঠিল, কিন্তু সবাৰৰে থাই অস্ত্ৰগুৰু হিচাপে, মহাগুৰুৰ তিৰোভাৱত বিষাদৰ ধল বিয়াপি যাবলৈ ধৰিলে।

কৰ্ত্তব্যৰ শাসনত বাধ্য হৈ, অৰ্জ্জুনে যদিও দ্ৰোণাচাৰ্য্যৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰিছিল, তথাপি তেওঁ তেওঁৰ প্ৰতি মাৰাত্মক অস্ত্ৰ প্ৰয়োগ কৰা নাছিল, ভীষ্মদেৱৰ বিৰুদ্ধে অৰ্জ্জুনে যি মৃদুযুদ্ধ কৰিছিল, দ্ৰোণাচাৰ্য্যৰ বিৰুদ্ধেও তেওঁৰ ৰণ তদ্ৰূপ মৃদু হোৱাৰ আভাস ওপৰত দি অহা হৈছে। দুইবো ওচৰত অৰ্জ্জুন মৰমৰ ধকুৱা। গতিকে, দ্ৰোণবধ বাৰ্ত্তাই তেওঁক বৰকৈ ব্যথিত কৰিলে। তেওঁৰ মনত বিবিধ বিৰক্তিৰ তাৰ খেলাবলৈ ধৰিলে। তাৰ উত্তেজনাত তেওঁ আৰ-তাৰ ওপৰত দোষাৰোপ কৰিবলৈ ধৰিলে। আন কি, তেওঁৰ পূজনীয় অগ্ৰজ ধৰ্ম্ম-যুধিষ্ঠিৰকো তেওঁ কঠুৱা কথা শুনাবলৈ বাকী নাৰাখিলে। যুধিষ্ঠিৰৰ ওপৰত তেওঁৰ আক্ৰোশ এই বাবে যে, দ্ৰোণাচাৰ্য্যক ক্ৰমাৎ অৱশ আৰু উদাসীন হোৱা জানিও, তেওঁ তেওঁৰ সৈতে ঘোৰতৰ ৰণ কৰিবলৈ পাণ্ডৱ পক্ষীয় যোদ্ধাবৰ্গক উদগনি দি পাচিছিল। ভীমসেনৰ প্ৰতিও অৰ্জ্জুন অত্যন্ত বিৰক্ত হৈ উঠিছিল, কিয়নো, তেওঁৰ ওপৰা-উপৰি ককৰ্থনা হেতুকে দ্ৰোণাচাৰ্য্যই মৰ্ম্মান্তিক অনুতাপত সন্তপ্ত হৈ মৰণ বাঞ্ছা কৰিছিল।—আটাইতকৈ ধৃষ্টদ্যুম্নৰ প্ৰতি অৰ্জ্জুনৰ ক্ৰোধ অত্যধিক, কাৰণ তেওঁ ৰণৰ হেতুবন্ধন ছিঙি[৩] তদ্বিপৰীত আচৰণেৰে দ্ৰোণাচাৰ্য্যক অবৈধ ব্যৱস্থাৰে বধ কৰিলে।[৪] অৰ্জ্জুনৰ ক্ৰোধ দেখি নিৰ্জ্জু যুধিষ্ঠিৰে নিটাল মাৰিলে।[৫] কিন্তু, ভীমসেন সহি থকা ভকত নহয়, তেওঁ উলটি অৰ্জ্জুনৰ ওপৰত ক্ৰোধ কৰি গৰ্জ্জি উঠিল। ধৃষ্টদ্যুম্নয়ো অৰ্জ্জুনৰে সৈতে তৰ্ক-যুদ্ধ আৰম্ভ কৰিলে। সেই প্ৰসঙ্গতে যাদৱ বীৰ সাত্যকিয়েও অৰ্জ্জুনৰ ফলীয়া হৈ ধৃষ্টদ্যুম্নক বিস্তৰ নিন্দা কৰিবলৈ ধৰিলে। শেহান্তত বাক্‌যুদ্ধৰ ঠাইত অস্ত্ৰযুদ্ধ উপস্থিত হোৱাৰ আগন্তুক দেখা গল। এনেতে, আপদৰ বন্ধু শ্ৰীকৃষ্ণদেৱে সেই সমস্যাৰ মাজত ইচ্ছা কৰি সোমালেহি। প্ৰত্যুৎপন্নমতি আদৰ্শ পুৰুষ ভগৱন্ত বাসুদেৱে সদ্ধেতৰ বলেৰে অৰ্জ্জুন আৰু সাত্যকিক ক্ষান্ত ৰাখি, সিপক্ষীয় ধৃষ্টদ্যুম্নৰ আজন্ম লক্ষ্য।

---

(১) দ্ৰোণাচাৰ্য্যও যে ভীষ্মদেৱৰ দৰেই মহা কৃষ্ণভক্ত আছিল, এয়ে তাৰ বিশিষ্ট প্ৰমাণ।

—মহাভাৰত, দ্ৰোণপৰ্ব্ব, ৭ম আধ্যা।

(২) দ্ৰোণাচাৰ্য্য আদিতে পাঞ্চালৰ ৰাজগুৰু আছিল। দ্ৰুপদ ৰজাৰ লগত মনান্তৰ ঘটাত, তেওঁ সেই ৰাজ্য এৰি আহি কুৰুৰাজ্যত স্থিতি কৰিলে। সেই কথাত দ্ৰুপদ ৰজা অত্যন্ত আশঙ্কিত হল, কিয়নো অস্ত্ৰশাস্ত্ৰবিদ্ মহাৰথ দ্ৰোণাচাৰ্য্যই পাঞ্চালৰ চিৰশত্ৰু কুৰুৰ সঙ্গ লোৱা হেতুকে শত্ৰুপক্ষ অত্যন্ত বলৱন্ত হৈ উঠিল, আৰু দ্ৰোণাচাৰ্য্যৰ বলেৰেই বলিয়ান হৈ কুৰুৱে পাঞ্চালৰ অনিষ্ট কৰাৰ আশঙ্কাত দ্ৰুপদ ৰজাই দ্ৰোণবধ যজ্ঞৰ অনুষ্ঠান কৰে। সেই যজ্ঞৰ ফলস্বৰূপ ধৃষ্টদ্যুম্নৰ জন্ম; গতিকে, দ্ৰোণবধ

(৩) ওপৰত ৰণৰ হেতুবন্ধনত লিপিবদ্ধ কৰা আছে যে নিৰস্ত্ৰ, ক্লান্ত, অন্যমনস্ক যোদ্ধাক বধ কৰা নাযাব। গতিকে, অস্ত্ৰ-শস্ত্ৰ একলীয়াকৈ থৈ, অত্যন্ত ক্লান্ত অৱস্থাত আত্মগ্লানি আৰু অনুতাপত তাপিত হৈ, ধ্যানমগ্ন আৰু যোগস্থিত হোৱাৰ ছেগত দ্ৰোণাচাৰ্য্যক বধ কৰাটো ধৃষ্টদ্যুম্নৰ পক্ষে নিতান্ত গৰ্হিত কাৰ্য্য হৈছিল।

(৪) মহাভাৰত, দ্ৰোণপৰ্ব্ব, ৮ম আধ্যা।

(৫) কোনো-কোনোৰ প্ৰক্ষিপ্তমতে অৰ্জ্জুনে যুধিষ্ঠিৰক কাটিবলৈকে ওলাইছিল। শ্ৰীকৃষ্ণ মাজত নোসোমোৱা হলে, সিমানতে সকলো পণ্ড হলেহেঁতেন।

—মহাভাৰত, দ্ৰোণপৰ্ব্ব, ৮ম আধ্যা।

ভীমসেন আৰু ধৃষ্টদ্যুম্নক চতুৰ্থ পাণ্ডৱ সহদেৱৰ অবিহতে ৰবাই-বুজাই শান্ত কৰিলে। নাইবা, গৃহকন্দলৰ ফলত সৰ্ব্বনাশ ঘটিবৰ উপক্ৰম হৈছিল। শ্ৰীকৃষ্ণ আকৌ এটা মহা সমস্যাত পৰিল। তেওঁৰ বুজনিৰ পৰাই অৰ্জ্জুনে বুজি উঠিল যে, মাননীয় লোকৰ পক্ষে অপমান মৃত্যুতুল্য। অৰ্জ্জুনে মাননীয় অগ্ৰজ যুধিষ্ঠিৰক বিস্তৰ কু-বচনেৰে অপমান কৰিছিল, আৰু তদ্বাৰাই তেওঁ এক মহাপাপ আচৰিছিল; গতিকে সেই পাপ অপনয়নৰ অৰ্থে তেওঁ আত্মবিসৰ্জ্জনলৈ উদ্যত হল। সেই অৰ্থে, অৰ্জ্জুনে খোলা তৰোৱাল নিজৰ বক্ষলৈ লক্ষ্য কৰি হাতত ললে। এনেতে, বুদ্ধিৰ্বৰ্গনাৰায়ণ ভগৱন্ত শ্ৰীকৃষ্ণদেৱে অৰ্জ্জুনৰ হাতত ধৰি, এইভাৱে আওপকীয়া বুজনি দিলে যে, অনুতাপত অনেক পাপ-তাপ কটাকটি যায়, এতেকে অৰ্জ্জুনৰ পক্ষে সেই পাপ খণ্ডাবলৈ উপায় ওলাই আছে। সেই অনুসৰি, অৰ্জ্জুনে বিস্তৰ অনুতাপ কৰাত, সকলো পাপ খণ্ডন হল, বিষ্ণুস্বৰূপ ভগৱন্ত শ্ৰীকৃষ্ণৰ গূঢ়তম উদ্দেশ্য সিদ্ধিৰ দুৱাৰ জাপ নোযোৱাকৈয়ে ৰল।

সপ্তত্ৰিংশ আধ্যা

কৰ্ণ-বধ

অজেয় যোদ্ধা মহামতি ভীষ্মদেৱৰ পতনৰ লগে-লগেই কৌৰৱ পক্ষ হতাশ হবলৈ ধৰে; তাৰ পাচত, অস্ত্ৰগুৰু মহাৰথ দ্ৰোণাচাৰ্য্যৰ সেনাপতিত্বত সেই পক্ষৰ বিজয়বাসনা পুনৰপি মটমটীয়া হৈ উঠে। বাস্তৱতে, তেওঁৰ সেনপতিত্বত পাণ্ডৱপক্ষৰ কেইবাজনো বিচক্ষণীয়া বীৰ ৰণত পৰাত, কৌৰৱ পক্ষৰ জয়লাভ একপ্ৰকাৰ ঠাৰৰ হোৱাৰ নিচিনা হৈছিল; পিচে, এনেতে সেই দ্বাই সেনাপতি দুৰ্জ্জয় দ্ৰোণাচাৰ্য্যৰ অভাৱনীয় পতন হোৱাত, কৌৰৱৰ আশা-ভৰসা সমূলকে মাৰ যোৱাৰ লক্ষণ দেখা গল।—হতাশৰ খুন্দাত অস্থিৰ হৈ, কৌৰৱ পক্ষীয় যুদ্ধকৰ্ত্তা দুৰ্য্যোধন অত্যন্ত কাতৰ হৈ পৰিল; বৃদ্ধ অন্ধৰাজ ধৃতৰাষ্ট্ৰই বিলাপত সেই হতাশৰ তাৰ উপাৰিবলৈ ধৰিলে।

এনেতে, কূটমন্ত্ৰী শকুনি কাষ চাপিলহি। তেওঁ দুৰ্য্যোধন আৰু অন্ধৰাজ দুইকো আওপাকে বুজাই-ৰবাই উদগনি দিবলৈ ধৰিলে। তেওঁৰ মতে, তেতিয়ালৈকে কৌৰৱ শক্তি সমূলকে নাশ নৌ হয় এথোন, -মহাৰথ কৰ্ণবীৰ জীবিত থাকেমানে সেই শক্তি সতেজ থাকিব। ভীষ্মদেৱ আৰু দ্ৰোণাচাৰ্য্য যদিও অজেয় যোদ্ধা আছিল, তথাপি বয়সে সিবিলাকক জুকলা কৰিছিল; কিন্তু কৰ্ণবীৰ এতিয়া ৰণৰ উপযোগী পূৰ্ণ বয়সীয়া; এতিয়াও তেওঁ অকলশৰে ভাৰত জিনিব পৰা হৈ বৈছে। ইতিপূৰ্ব্বেত, যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞৰ প্ৰাৰম্ভত ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱ এই চাৰি পাণ্ডৱে চতুৰ্দ্দিশে দিগ্বিজয় কৰিছিল। কিন্তু, দুৰ্য্যোধনৰ প্ৰভুত্ব বিস্তাৰৰ সময়ত প্ৰখ্যাত মহাবীৰ কৰ্ণই অকলেই সেই চতুৰ্দ্দিশত দিগ্বিজয় কৰিছিল; পাণ্ডৱৰ ধৰণীধৰূপ অৰ্জ্জুন দ্ৰোণৰ শিষ্য, কিন্তু কৰ্ণ দ্ৰোণগুৰু পৰশুৰামৰ শিষ্য; অৰ্জ্জুনৰ দুৰ্জ্জয় ধনু গাণ্ডীৱ, কৰ্ণৰ ততোধিক দুৰ্জ্জয় ধনু বিজয়ধনু; অৰ্জ্জুনৰ সাৰথি শ্ৰীকৃষ্ণ, কৰ্ণৰ সাৰথিও মহাবল শল্য, দুয়ো দিব্যাস্ত্ৰবিদ বিচক্ষণীয়া যোদ্ধা। বাস্তৱতে, কৰ্ণ হে অৰ্জ্জুনৰ প্ৰকৃত প্ৰতিযোদ্ধা। দুয়ো পৰস্পৰক বধিবলৈ বহুদিনৰ পৰা প্ৰতিশ্ৰুত। কুৰুক্ষেত্ৰ-মহাৰণৰ প্ৰাৰম্ভত কৰ্ণৰ জন্মবৃত্তান্ত ব্যক্ত কৰি, তেওঁৰ গৰ্ভধাৰিণী মাতৃ কুন্তীদেৱীয়ে যেতিয়া তেওঁৰ ওচৰত পঞ্চ-পাণ্ডৱৰ প্ৰাণ ভিক্ষা কৰে, অৰ্থাৎ কৰ্ণই কৌৰৱ পক্ষীয় হৈ যুদ্ধ কৰিলেও, পাঁচ পাণ্ডৱৰ এজনকো তেওঁ বধ নকৰিবলৈ কয়, তেতিয়া কৰ্ণই 'অচল-অটল' ভাৱে ইয়াকে হে সমিধান দিলে যে, মাতৃ-অনুৰোধ ৰক্ষাৰ্থে তেওঁ যুধিষ্ঠিৰ, ভীম, নকুল, সহদেৱ এই চাৰি পাণ্ডৱক স্বহাতে বধ নকৰিলেও, অৰ্জ্জুন-বধ সংকল্প তেওঁ কাচিতো পৰিহাৰ কৰিব নোৱাৰে। স্বৰূপত, কৰ্ণই হে অৰ্জ্জুন-বধ সাধিব পাৰিব। অৰ্জ্জুন-পতনৰ লগে-লগেই পাণ্ডৱ পক্ষৰ পতন, আৰু তাৰ লগে-লগেই কৌৰৱ পক্ষৰ জয়, ই ধ্ৰুৱসত্য কথা। এতেকে, কৌৰৱৰ যুদ্ধ কৰ্ত্তাসকলে হতাশ নহৈ মহাবীৰ কৰ্ণক দ্ৰোণাচাৰ্য্যৰ ঠাইত দ্বাই সেনাপতি বৰণ কৰি যুদ্ধ পুনঃ পূৰ্ণবেগেৰে আৰম্ভ কৰাই দিয়ক, শকুনিৰ মতে, 'কৰ্ণসম বীৰ নাহি

হুপজিব'[১]। কুটবন্ধুৰ এই উদগনিয়ে দুৰ্য্যোধনক পুনঃ উদ্দীপ্ত কৰিলে; ছুমাও-ছুমাও হোৱা[২] ৰণাগ্নি পুনৰপি জ্বলি উঠিল।

আপদৰ বন্ধু শকুনিৰ যুক্তি আৰু পৰামৰ্শ গ্ৰহণ কৰি, দুৰ্য্যোধনে বিশেষ আয়োজনেৰে বৰ ধুমধামেৰে কৰ্ণ মহাবীৰক কৌৰৱ পক্ষৰ থাই সেনাপতিত্বত বৰণ কৰি, পুনৰপি ৰণ আৰম্ভ কৰিবলৈ আদেশ দিলে। কৰ্ণই যথা সমাদৰে সেই নেতৃত্বৰ গুৰুতৰ ভাৰ গ্ৰহণ কৰি, পৰম উৎসাহেৰে ৰণনেতাৰ বাব গ্ৰহণ কৰিলে গৈ, তেওঁৰ নিজৰ দিহামতে যোদ্ধাবৰ্গ যথা-যথা স্থানত ৰণৰ অৰ্থে সাজু হলগৈ। তাৰ নিদৰ্শন-স্বৰূপ কৌৰৱ শিবিৰৰ উৎসাহ-আনন্দৰ জয়ধ্বনি চৌদিশে ব্যাপ্ত হৈ পৰিল।

ম্ৰিয়মান্ কৌৰৱ শিবিৰত আকৌ আচম্বিতে আনন্দৰ জয়ধ্বনি উঠাত পাণ্ডৱ শিবিৰত আকৌ আতঙ্ক উপস্থিত হল। ৰণকৰ্ত্তা যুধিষ্ঠিৰৰ আজ্ঞামতে, পাণ্ডৱপক্ষও অনতি-পলমে ৰণলৈ সাজু হল। আৰু, তেওঁৰ আদেশ অনুসৰি, অৰ্জ্জুনে তেওঁৰ সাৰথি শ্ৰীকৃষ্ণৰ সৈতে পৰ্য্যালোচনা কৰি, অৰ্দ্ধচন্দ্ৰ ব্যূহ ৰচনা কৰিলে; তাত এই অনুক্ৰমে পাণ্ডৱ যোদ্ধা নিয়োজিত হল:—যেনে, ব্যূহৰ সোঁ-চূড়াত ধৃষ্টদ্যুম্ন, বাওঁ-চূড়াত ভীমসেন, পিঠিভাগত নকুল-সহদেৱৰে সৈতে যুধিষ্ঠিৰ, সমুখৰ মাজভাগত সাৰথি শ্ৰীকৃষ্ণৰে সৈতে মহাৰথ অৰ্জ্জুন স্বয়ং সসৈন্যে সাজু হবগৈ।

দুয়োপক্ষ সমুখাসমুখি হল। দুয়োপক্ষৰপৰা ভীষণ জয়ধ্বনি উঠি আকাশ কম্পমান্ কৰিলে। আচম্বিতে সৰ্ব্বজনীন কৌতূহল উদ্ৰেক্ হল। কৰ্ণ আৰু অৰ্জ্জুনৰ ৰণোৎসাহ দেখি সকলো স্তম্ভিত হল। ইয়াৰ আগেয়ে অৰ্জ্জুনে পিতামহ ভীষ্মদেৱ আৰু অস্ত্ৰগুৰু দ্ৰোণাচাৰ্য্যৰ লগত যি যুদ্ধৰণ কৰিছিল, সেই ৰণৰ আভাস তেওঁত আৰু নাই; এতিয়া তেওঁ প্ৰাণ-লোৱা, নাইবা প্ৰাণ-দিয়া, এই ভয়াবহ জীৱন-মৰণৰ সমস্যাত উপস্থিত। কৰ্ণবধেই কুৰুক্ষেত্ৰ মহাৰণত অৰ্জ্জুনৰ আচল লক্ষ্য। এতিয়া সেই ক্ষণ উপস্থিত হৈছেহি। তদ্ৰূপ, কৰ্ণৰ লক্ষ্যও অৰ্জ্জুনবধ হে; সেই ছেগে এইক্ষণত তেওঁক ধৰা দিছেহি।

যুদ্ধাৰম্ভণৰ ঘোষণাসূচক দুয়োপক্ষীয় ৰণবাদ্য বাজি উঠিল; যথাবিধি দুয়োপক্ষৰ নিৰ্দ্ধাৰিত যোদ্ধা ৰণত লাগি গল। দুয়োপক্ষৰ মাজত এখন অপৰূপ ৰণ লাগি উঠিল। ৰথে-ৰথে, গজে-গজে, পদাতিয়ে-পদাতিয়ে, ধনুৰ্দ্ধাৰী অশ্বাৰোহীয়ে-অশ্বাৰোহীয়ে, গদাধাৰীয়ে-গদাধাৰীয়ে ভীষণ ৰণ কৰিবলৈ ধৰিলে। দুয়োদলৰ আস্ফালনত মেদিনী কঁপিবলৈ ধৰিলে, দুয়োপক্ষৰ অস্ত্ৰসংঘৰ্ষণত উঠা মৃত্যুসংবাদ-সূচক ধ্বনিয়ে হৃৎকম্প তুলিলে, দুয়োপক্ষৰ আক্ৰোশসূচক গৰাহৰ বাৰে আকাশ কম্পমান্ কৰিলে। এনেতে, ৰণমদত উন্মত্ত ভীমসেনে গদা এৰি, শৰ-ধনু হাতত লৈ, একেলাফে হাতীত চৰি, শত্ৰুপক্ষৰ ওপৰত বাণ বৰ্ষণ কৰিবলৈ ধৰিলে; সাত্যকি, নকুল, ধৃষ্টদ্যুম্ন, চেকিতন আৰু দ্ৰৌপদীৰ পঞ্চপুত্ৰই সিংহনাদ ছাৰি ভীমসেনৰ সাহায্যত দক্ষতাৰে সৈতে তেওঁৰ অনুবৰ্ত্তী হল। শত্ৰুপক্ষৰ এনে বিষম আক্ৰোশ ৰোধ কৰাৰ অৰ্থে, কৌৰৱপক্ষীয় মহাযোদ্ধা মহাবীৰ কুলুদদেশৰ ৰজা ক্ষেমধূৰ্ত্তিয়ে এটা মহাগজত আৰোহণ কৰি বিষম বিক্ৰমেৰে ভীমসেনক আক্ৰমণ কৰিলেগৈ, দুয়ো বীৰৰ মাজত তন্ময়া ৰণ বহুপৰলৈকে লাগি আছে, এনেতে বিষম বাণৰ প্ৰহাৰত অস্থিৰ হৈ ক্ষেমধূৰ্ত্তিৰ মহাকায় হস্তীয়ে ৰণভঙ্গ দিলে; তেওঁ উপায়ান্তৰ হৈ, সেই হাতীৰপৰা অগত্যা নামি আহি, হাতত যমদণ্ড সদৃশ্ গদা লৈ, ভীমসেনক দ্বৈৰথ যুদ্ধলৈ আহ্বান কৰিলেহি। গতিকে, পুনৰপি গদাযুদ্ধ আৰম্ভ হল। বহুপৰ ব্যাপি এই দুজন বিচক্ষণীয়া গদাবীৰৰ মাজত তুমুল যুদ্ধ চলিবলৈ ধৰিলে। সদোশেহত ভীমসেনৰ হাতত ক্ষেমধূৰ্ত্তিৰ পতন হল। ক্ষেমধূৰ্ত্তিৰ পতনত কৌৰৱ সেনাবৰ্গ হতাশ হোৱা যেন দেখি, থাই সেনাপতি কৰ্ণবীৰে স্বয়ং ধনু-শৰ হাতত লৈ, অকাট্য বাণেৰে পাণ্ডৱপক্ষক অস্থিৰ কৰি

---

(১) 'বলি বীৰ, বালি বীৰ, অৰ্দ্ধ হনুমান; নহব হুপজিব কৰ্ণৰ সমান' এই বচন ফাঁকিৰ আঁতি-গুৰি ইয়াতে হব পাৰ।

(২) সঞ্জয় মন্ত্ৰীৰ ভৱিষ্যৎবাণী শুনি শুনি, তেওঁৰ সাঙ্কেতিক মন্ত্ৰণা মতে, অন্ধৰাজ ধৃতৰাষ্ট্ৰৰ মনত পৰাপক্ষত ৰণ পৰিহাৰ কৰাই যুগুত যেন বোধ হৈছিলগৈ; এনেতে, অন্যতম মন্ত্ৰী শকুনিৰ মন্ত্ৰণাই সেই ভাব তল পেলাই, ৰণ চলোৱা ভাব পুনৰপি ওপৰ কৰিলে।

এচিপ্ পিচুৱাই নি, পুনৰপি কৌৰৱপক্ষক নতুন খোপনি দি, দুয়োপক্ষৰ যোদ্ধাৰ মাজত যোগ্যতা অনুসৰি আৰু নিজ নিজ বাছনি অনুযায়ী দ্বৈৰথ যুদ্ধ আৰম্ভ কৰাই দিলে। সেই অনুসৰি, অশ্বত্থামা আৰু ভীমসেন, শ্ৰুতকৰ্মা আৰু চিত্ৰসেন, বিন্দ-অনুবিন্দ আৰু সাত্যকি, প্ৰতিবিন্ধ্য আৰু চিত্ৰৰথশোধন, দুৰ্য্যোধন আৰু যুধিষ্ঠিৰ, কৃপাচাৰ্য্য আৰু ধৃষ্টদ্যুম্ন, কৃতবৰ্ম্মা আৰু নকুল, মদ্ৰপতি আৰু শ্ৰুতকীৰ্ত্তি, দুঃশাসন আৰু সহদেৱ, নাৰায়ণী সেনা আৰু অৰ্জ্জুন। দুৰ্য্যোধন আৰু যুধিষ্ঠিৰৰ মাজত তয়ামৰা ৰণ লাগিবলৈ ধৰিলে। অৰ্জ্জুনৰ সাৰথিস্বৰূপে যদ্যপি অদ্ভুত ধৰণৰ ৰথচালনা কৰি আৰু বিচক্ষণীয়া ৰণ-কৌশলৰে সৈতে দুৰ্জ্জয় নাৰায়ণী সেনাক জয় কৰিবলৈ স্বয়ং শ্ৰীকৃষ্ণই অৰ্জ্জুনৰ ৰণত একান্ত মনোযোগ দিব লগীয়া হৈছিল, তথাপি সমূহ দ্বৈৰথ ৰণৰ পৰিচালনাৰ ওপৰত বাসুদেৱে অসাধাৰণ ভাৱে দৃষ্টি ৰাখিছিল। বাস্তৱতে, অদ্বিতীয় ৰণপণ্ডিত, উলাহ-উৎসাহৰ জীৱন্তমূৰ্ত্তি, কংস-চানূৰমৰ্দ্দন, জৰাসন্ধনিধনকাৰণ, শিশুপালহন্তা, কেশীনিসূদন স্বয়ং শ্ৰীকৃষ্ণ বিদ্যমান থকাত পাণ্ডৱপক্ষৰ পৰাক্ৰম দোপত-দোপে চৰিবলৈ ধৰিলে; ইপক্ষে অনুবিন্দ, চিত্ৰসেন, প্ৰতিবিন্ধ্য প্ৰভৃতি কৌৰৱ যোদ্ধা এজন-এজনকৈ ৰণত পৰিবলৈ ধৰিলে; নাৰায়ণী-সেনাও ক্ৰমাৎ নিস্তেজ হৈ আহিল, কৌৰৱ দল ৰণত পিঠি দিও-দিও হল। এনেতে, কৌৰৱদল সমূলঙ্কে পৰাভূত হওঁ-হওঁ হওঁতে বিচক্ষণীয়া যোদ্ধা ঘাই সেনাপতি কৰ্ণবীৰে কৌৰৱ সেনাৰ দুৰ্জ্জয় সাহায্য সংগ্ৰহ কৰি লৈ বিষম বিক্ৰমেৰে ৰণৰ মাজত সোমালেহি। ঠিক সেইক্ষণতে সিফালৰপৰা চতুৰ্থ পাণ্ডৱ নকুলে দুঃশাসনক ৰণত পৰাভূত কৰি, মহোল্লাহেৰে ৰণকেন্দ্ৰৰ মুখে ঘূৰোঁতে, মাজবাটতে কৰ্ণৰে সৈতে তেওঁৰ ভেটাভেটি হল। সোধপোছ্ নাই, দুইৰো মাজত ঘোৰতৰ ৰণ লাগিল। ভালেমান পৰলৈকে দুইকো দুয়ো বিষম বিক্ৰমেৰে অস্থিৰ কৰিবলৈ ধৰিলে। কিন্তু, কৰ্ণহেন বীৰৰ আগত নকুল বীৰ কিমান পৰলৈ ঠাৰৰিব!—তেওঁ অগত্যা পৰাভূত হৈ পিঠি দেখুৱাবলৈ বাধ্য হল। কৌৰৱ দল পুনৰপি উলাহত উধাও হৈ উঠিল। এনে সময়ত, পাণ্ডৱ দলৰ মূলশক্তি ৰণপণ্ডিত শ্ৰীকৃষ্ণৰ বিজুলী দৃষ্টি পৰিল; তেওঁ ততালিকে পৰাভূত হওঁ-হওঁ হোৱা নাৰায়ণী সেনাক সিমানতে এৰি, চকুৰ পচাৰতে অৰ্জ্জুনৰ ৰথ ঘূৰাই কৰ্ণমুখীয়া কৰি দি, এনে কৌশলেৰে অৰ্জ্জুনৰ দ্বাৰাই কৌৰৱ দলক আচম্বিতে আক্ৰমণ কৰালেগৈ যে, কৌৰৱ যোদ্ধা ঠাৰৰিব নোৱাৰি এজন-এজনকৈ ৰণত বিমুখ হবলৈ ধৰিলে; গতিকে কৌৰৱপক্ষ পুনঃ জয় পৰি আহিল। এনেতে, দিন অৱসান হৈ অহাত, নিৰূপিত সময় অনুসৰি, সিমানতে সেইদিনৰ ৰণৰ সামৰণি পৰিল। দুয়োদলে যথাৰীতি নিজ নিজ শিবিৰলৈ প্ৰত্যাগমন কৰিলে। সেই দিনৰ ৰণ এখন ভয়ঙ্কৰ মহাৰণ। এনেখন ৰণত শ্ৰীকৃষ্ণৰ কৌশলৰ ফলস্বৰূপ জয়লাভ হোৱাত, পাণ্ডৱ শিবিৰত মুহুৰ্ম্মুহু জয়ধ্বনি উঠিবলৈ ধৰিলে।

অৰ্জ্জুনৰ আগত কৰ্ণৰ দুৰ্জ্জয় সেনাদল তিষ্ঠিব নোৱাৰি পৰাভূত হৈ শিবিৰলৈ প্ৰত্যাগত হোৱাত, দুৰ্য্যোধন হতাশৰ খুন্দাত বহি পৰিল। তেওঁ কৰ্ণৰ অপাৰ গুণপলৈ লক্ষ্য কৰি আক্ষেপ কৰিবলৈ ধৰিলে; কৰ্ণৰ প্ৰতি তেওঁ মুখে-মুখে অৱজ্ঞাসূচক বাক্য প্ৰয়োগ কৰিবলৈকো বাকী নাৰাখিলে। দুৰ্য্যোধনৰ অযথা দোষাৰোপ আৰু কদৰ্থনা শুনি শুনি অসহ্য হৈ উঠাত, মহা অভিমানী দুৰ্জ্জয় বীৰ কৰ্ণ খঙত জ্বলি উঠিল। তেওঁ সবেগে দুৰ্য্যোধনৰ কাষলৈ চাপি আহি, এই বুলি তেওঁৰ ভ্ৰান্তি গুচাবলৈ প্ৰয়াস পালে—অৰ্জ্জুন কাৰ বলত সিমান বলৱন্ত হৈছে, দুৰ্য্যোধনে মণি চোৱা নাই। স্বয়ং অৱতাৰী নাৰায়ণ শ্ৰীকৃষ্ণই যাৰ সাৰথি, সেই পাৰ্থ বীৰে কোনো কোনো ফেৰত জয়লাভ কৰাটো একো আচৰিত নহয়; সেইদিনাই যুদ্ধত বাসুদেৱ শ্ৰীকৃষ্ণই উপস্থিত বুদ্ধি নখটোৱা হলে, অৰ্জ্জুনৰ কি সাধ্য কৰ্ণৰ দুৰ্জ্জয় সেনাদলক পৰাভূত কৰে! শ্ৰীকৃষ্ণসম বীৰ্য্যবান সাৰথিৰ বল পালে, তেওঁ পৃথিৱী জয় কৰিব পাৰে। উপস্থিত মহাৰণত প্ৰবৃত্ত হোৱা সমবেত বীৰ যোদ্ধাৰ মাজত অৱশ্যে যাদৱ-কেশৰী কেশৱৰ সমান বীৰ্য্যৱন্ত লোক নাই; তথাপি মদ্ৰৰাজ শল্যবীৰ একোৱলৈ শ্ৰীকৃষ্ণৰ সমকক্ষ হলে হব পাৰে! এতেকে শল্যই যদি কৰ্ণৰ সাৰথিৰ বাব গ্ৰহণ কৰে, তেন্তে তেওঁ অনতিপলমে অৰ্জ্জুনক বধ কৰি কৌৰৱৰ জয়লাভ নিশ্চয় কৰি দিব পাৰে। কৰ্ণৰ

মুখে এই কথা শুনি, দুৰ্য্যোধনে আতুৰভাৱে মদ্ৰপতি শল্যক কৰ্ণৰ সাৰথি হবলৈ অনুৰোধ কৰিলেগৈ। মহাবীৰ্য্যৱন্ত অভিমানী বীৰ মদ্ৰৰাজে পোনেই সেই অযথা প্ৰস্তাৱ সদৰ্পে দলিয়াই পেলালে, কিন্তু দুৰ্য্যোধনৰ কাকুতি-অনুৰোধ এবাব নোৱাৰি, শল্যৰাজ অগত্যা কৰ্ণৰ সাৰথি হবলৈ মান্তি হল।

পিচদিনা কৰ্ণবীৰ মহোল্লাহেৰে আৰু বিপুল আয়োজনেৰে ৰণলৈ সাজু হল। তেওঁ নতুন ধৰণেৰে এখন বিচিত্ৰ ব্যূহ ৰচনা কৰি দুৰ্য্যোধন, শকুনি, কৃপাচাৰ্য্য, অশ্বত্থমা, দুঃশাসন, কৃতবৰ্ম্মা প্ৰভৃতি সেনাপতিসকলক ভাগে ভাগে ৰণত নিয়োজিত কৰিলে। কৰ্ণৰ উলাহত উলাহিত হৈ, কৌৰৱদল ৰণত লাগোঁ-লাগোঁ হল। বিপক্ষতো তদ্ৰূপ কৃষ্ণাৰ্জ্জুনৰ দিহামতে ধৃষ্টদ্যুম্ন, ভীম, নকুল, সহদেৱ, সাত্যকি প্ৰভৃতি বিচক্ষণীয়া সেনাপতিসকল সসৈন্যে শত্ৰুপক্ষৰ ওপৰত পৰোঁ-পৰোঁ হৈ আগ বাঢ়িল। এই যাত্ৰাত স্বয়ং যুদ্ধকৰ্ত্তা যুধিষ্ঠিৰেও শৰ-ধনু ধৰি ৰণত প্ৰৱেশ কৰিলে। দুয়োদলৰ মাজত ঘোৰতৰ ৰণ আৰম্ভ হল। আৰম্ভণত ভীমসেনৰ হাতত ভালেমান কৌৰৱ পক্ষীয় বছা বছা বীৰ ৰণত পৰিল, তাৰ মাজত সেনাপতি কৰ্ণকুমাৰো এজন। পুত্ৰৰ পতন দেখি, কৰ্ণবীৰে বিষম আক্ৰোশেৰে পাণ্ডৱৰ মূলকে নাশ কৰিবৰ উদ্দেশে যুধিষ্ঠিৰক আক্ৰমণ কৰিলেগৈ। দুইবো মাজত তয়াময়া ৰণ লাগিল। পোনতে কৰ্ণৰ আক্ৰমণে স্থিৰযোদ্ধা যুধিষ্ঠিৰক টলাব নোৱাৰি নিজে উফৰি উভতি পৰিছিল, কিন্তু মহাবীৰ কৰ্ণৰ আগত সৰহপৰলৈ আত্মসম্ভালন কৰাটো মৃদুযোদ্ধা যুধিষ্ঠিৰৰ পক্ষে সম্ভৱপৰ নহল, তেওঁ কৰ্ণৰ হাতত সম্পূৰ্ণে পৰাভৱ মানিলে, কৰ্ণই তেওঁৰ গৰ্ভধাৰিণী মাতৃ কুন্তীদেৱীৰ ওচৰত ইতঃপূৰ্ব্বে প্ৰতিশ্ৰুত হোৱালৈ স্মৰণ কৰি তেওঁক প্ৰাণে মাথোন এৰি দিয়াত, যুধিষ্ঠিৰ লজ্জিত, অপমানিত আৰু মৰ্ম্মান্তিক হৈ শিবিৰলৈ উলটিল। এই দৃশ্য সৰ্ব্বদৰ্শী শ্ৰীকৃষ্ণৰ দৃষ্টিত পৰা মাত্ৰকে তেওঁ তত্তালিকে অৰ্জ্জুনৰ ৰথ আনি কৰ্ণমুখীয়া কৰি দিলে, আৰু যুধিষ্ঠিৰৰ সংবাদ আনিবলৈ ভীমসেনক পাঠিলে। ৰণোন্মত্ত ভীমসেন ৰণ এৰি যাবলৈ অমান্তি হল; গতিকে অনতিপলমে কৃষ্ণাৰ্জ্জুন স্বয়ং যুদ্ধকৰ্ত্তা যুধিষ্ঠিৰৰ সমীপত উপস্থিত হলগৈ। শ্ৰীকৃষ্ণই যি আশঙ্কাত তত্তালিকে ৰণ এৰি শিবিৰ প্ৰৱেশ কৰিছিলগৈ, ঠিক সেই আশঙ্কা কাৰ্য্যত ফলিয়াবলৈ ধৰা দেখিলেগৈ, ধৰ্ম্ম-যুধিষ্ঠিৰে লাজ, অপমান আৰু ধিক্কাৰ ঢাকিবৰ উদ্দেশ্যে সিমানতে কুৰুক্ষেত্ৰ-মহাৰণৰ সামৰণি মাৰি, প্ৰকাশ্যে পৰাভৱ স্বীকাৰ কৰিবলৈ আগ বাঢ়িলে। গতিকে, নতুনকৈ এটা মহা সমস্যা উপস্থিত হল। এই সমস্যাৰ পাৰ শ্ৰীকৃষ্ণ বিনে আনে দেখা নোপোৱাত পৰিল। প্ৰত্যুৎপন্নমতি শ্ৰীকৃষ্ণদেৱে বাহুল্য বুজনিৰে সৈতে আসন্ন ক্ষণত সময় নষ্ট কৰা অনুচিত বিবেচনা কৰি, মাথোন অৰ্জ্জুনৰ দ্বাৰাই কৰ্ণবধ প্ৰতিজ্ঞা কৰাই যুধিষ্ঠিৰক শান্ত কৰি, পুনৰপি তেওঁৰ আজ্ঞা লৈ অনতিপলমে অৰ্জ্জুনক ৰণত প্ৰৱেশ কৰাবলৈ উপায় চিন্তা কৰিলে। ইতিমধ্যাত, কৰ্ণক বধ নকৰাকৈ শিবিৰলৈ উলটি অহা বাবে যুধিষ্ঠিৰে অৰ্জ্জুনক বিস্তৰ ককৰ্থনা কৰিবলৈ ধৰিলে, তেওঁ নিৰাশ হৈ, এনে অসহনীয় কথা কবলৈকো বাকী নাৰাখিলে যে, কৰ্ণলৈ যদি অৰ্জ্জুনৰ ইমানেই ভয়, তেনে মহাধনু গাণ্ডীৱৰ অপযশ আনিলে কিয়?—তেওঁ গাণ্ডীৱ ধৰিবলৈ অযোগ্য হৈছিল যেতিয়া, সেই দুৰ্জ্জয় ধনু শ্ৰীকৃষ্ণৰ হাতলৈ পাৰ কৰি, তেওঁ উলটি শ্ৰীকৃষ্ণৰ সাৰথি হোৱা উচিত আছিল। যুধিষ্ঠিৰৰ প্ৰলাপতুল্য এনেকুৱা অযথা ককৰ্থনা অৰ্জ্জুনে ধৈৰ্য্য ধৰি বিস্তৰ সহিলে, কিন্তু শেহৰ কু-বাক্য কেইফাকি তেওঁলৈ নিতান্ত অসহনীয় হল, —অৰ্জ্জুনে অদম্য ক্ৰোধত অধীৰ হৈ ফাঁকৰপৰা তৰোৱাল উলিয়াই লৈ, যুধিষ্ঠিৰৰ শিৰচ্ছেদ কৰিবলৈ উদ্যত হল।[1] এনেতে, শ্ৰীকৃষ্ণই অৰ্জ্জুনৰ হাতত খাপ্ মাৰি ধৰি, সেই অপঘাত ব্যৰ্থ কৰি, উপস্থিত আপদৰপৰা পাণ্ডৱক ৰক্ষা

---

(১) অৰ্জ্জুনক গাণ্ডীৱ পৰিহাৰ কৰিবলৈ যেয়ে কয়, তেওঁ তত্তালিকে তাৰ শিৰচ্ছেদ কৰাটো অৰ্জ্জুনৰ ভীম-প্ৰতিজ্ঞা আছিল। গতিকে, যুধিষ্ঠিৰে ককৰ্থনাৰ ভিতৰত সেই কথা প্ৰয়োগ কৰাৰ হেতুকে, অৰ্জ্জুনে তেওঁৰ শিৰচ্ছেদ কৰিবলৈ ধৰিছিল।

কৰি, অৰ্জ্জুনক সময়োপযোগী বুজনি দিবলৈ ধৰিলে। শ্ৰীকৃষ্ণৰ বুজনিত অৰ্জ্জুন ক্ষান্ত আৰু শান্ত হল। কিয়নো, গুৰুজনক অপমানসূচক বাক্য প্ৰয়োগ কৰাতেই তেওঁক বধ কৰাৰ তুল্য হল, আৰু তদ্বাৰাই অৰ্জ্জুনৰ গাণ্ডীৱ নিন্দাবাদ শ্ৰৱণজনিত হোৱা পাপ খণ্ডিত হ'ল। কিন্তু, অগ্ৰজ গুৰুজনক অপমান কৰা পাপৰপৰা মুক্তিলাভৰ অৰ্থে অৰ্জ্জুন আত্মহত্যাৰ নিমিত্তে প্ৰস্তুত হল। শ্ৰীকৃষ্ণ আকৌ এটা সমস্যা ভঞ্জনৰ জঞ্জালত পৰিল। তেওঁ ততালিকে অৰ্জ্জুনক এই বুজনি দিলে যে, আত্মশ্লাঘা কৰিলে তেনে পাপ খণ্ডন হোৱাৰ বিধি আছে। সেই অনুসৰি, অৰ্জ্জুনে নিজে আত্মবল-গৌৰব বখানি সেই পাপ মোচন কৰিলে।[১]

ইফালে পাণ্ডৱ শিবিৰত কৃষ্ণাৰ্জ্জুনে ওপৰা-উপৰিকৈ সমস্যা ভঞ্জন কৰি থাকোঁতেই, সিফালে ৰণক্ষেত্ৰত অদ্ভুত বীৰ ভীমসেনে কৌৰৱ পক্ষীয় কেইবাজনো থাই থাই যোদ্ধা ৰণত পেলাই উৎপাত লগাবলৈ ধৰিলে। কৃষ্ণাৰ্জ্জুনৰ অনুপস্থিতিত ছেগ ধৰি, কৰ্ণৰ অন্যতম পুত্ৰ বৃষসেন দুঃশাসনৰ সহায়েৰে আক্ৰমণ কৰি, ভীমসেনক বিচেষ্টা কৰি পেলাইছিল, কিন্তু তেওঁৰ দুৰ্জ্জয় নামৰ ব্যতিক্ৰম নঘটিছিল, তেওঁ চতুৰ্গুণ উৎসাহেৰে যুদ্ধ কৰি অকলশৰে কৌৰৱ দলক অস্থিৰ কৰি পেলালে। এনেতে, এটা ছেগত ভীমসেনে ধনু-শৰ এফলীয়াকৈ থৈ, গদা হাতত লৈ, দুঃশাসনক দ্বৈৰথ যুঁজলৈ আহ্বান কৰিলে। প্ৰচলিত ৰণনীতি অনুসৰি, দুঃশাসনেও বাধ্য হৈ গদা ধৰি ভীমসেনৰে সৈতে যুদ্ধত প্ৰবৃত্ত হল। দুয়ো বীৰৰ মাজত ভালেমান পৰলৈকে ঘোৰতৰ গদাযুদ্ধ চলিবলৈ ধৰিলে। সদোশেহত, ভীমৰ গদাঘাতত দুঃশাসন ৰণত পৰিল, সেই ছেগতে ভীমসেনে পূৰ্ব্বৰ প্ৰতিজ্ঞা স্মৰণ কৰি ততালিকে তৰোৱালেৰে পতিত বীৰ দুঃশাসনৰ বুকু চিৰি ৰক্তপান কৰিলে।[২] এনেতে, উভয় প্ৰান্তৰপৰা উৎসাহৰ জয়ধ্বনি আৰু হতাশৰ হাহাকাৰ উঠিল,—সেইকালেই শত্ৰুবিনাশ কৰি বাট উলিয়াই লৈ, কৃষ্ণাৰ্জ্জুনে পুনৰপি ৰণক্ষেত্ৰত প্ৰৱেশ কৰিলেহি। শ্ৰীকৃষ্ণৰ সংকেত অনুসৰি, অৰ্জ্জুনে গোলেই কৰ্ণ সেনাপতিৰ অন্যতম পুত্ৰ বৃষসেনক আক্ৰমণ কৰি ৰণত পেলালে। পুত্ৰক ৰণত পৰিবৰ দেখি, কৰ্ণ বীৰ ক্ৰোধান্ধ হৈ অৰ্জ্জুনৰ সন্মুখীন হলগৈ। দুই মহাৰথীৰ মাজত তুমুলৰূপে ভয়ৰৰ ৰণ লাগি উঠিল। এনে ভয়ৰৰ ৰণ কুৰুক্ষেত্ৰ মহাৰণৰ সংগ্ৰামত আগেয়ে কেতিয়াও হোৱা নাছিল। দুইলৈকে দুয়ো চৰা; কেৱে কাকো হটাব পৰা নাই। দুয়ো অজস্ৰ বাণ বৰ্ষণেৰে আকাশ ছাটি পেলাইছে, দুয়ো দলৰ অসংখ্যাত সেনা ৰণত পৰিব লাগিছে, তেওঁ অচল হৈ পৰিল। গতিকে, কৰ্ণই ৰথৰপৰা জঁাপ মাৰি নামি সেই চকৰি উত্তালি উলিয়াবলৈ প্ৰাণকাতৰে যত্ন কৰিবলৈ ধৰি, অৰ্জ্জুনক ক্ষন্তেক ক্ষান্ত হবলৈ এই বুলি অনুবোধ কৰিলে, "হে অৰ্জ্জুন! মই হঠাৎ বিপন্ন। মই এই ৰথ চকৰি বোকাৰপৰা উলিয়াই লওঁমানে ক্ষন্তেক ক্ষান্ত হোৱাঁ, মোৰ প্ৰতি বাণ প্ৰহাৰ নকৰিবাঁ। কিয়নো, বিপন্ন আৰু নিৰস্ত্ৰ যোদ্ধাৰে সৈতে যুদ্ধ কৰাটো ৰণ নীতিৰ বহিৰ্ভূত কাৰ্য্য। তুমি বীৰৰ সন্তান, আৰু তুমি নিজেও এজন প্ৰখ্যাত বীৰ। এতেকে ক্ষত্ৰিয় ধৰ্ম্মমতে নিষিদ্ধ যুদ্ধ নকৰি, ন্যায় আৰু ধৰ্ম্মযুদ্ধলৈ ক্ষন্তেক অপেক্ষা কৰাঁ। মোক এই নিৰস্ত্ৰ আৰু বিপন্ন অৱস্থাত বাণাঘাত বা অস্ত্ৰাঘাতেৰে বধ কৰিলে তোমাক মহাপাপে চুব। এতেকে, ক্ষন্তেক ক্ষান্ত হোৱাঁ।"

ক্ষন্তেক ক্ষান্ত হবলৈ অৰ্জ্জুনক ওপৰা-উপৰিকৈ অনুৰোধ কৰি লৈ কৰ্ণ বীৰে বোকাত পোত্ যোৱা ৰথ-চকৰি টানি উলিয়াবলৈ ধৰিলে। সেইক্ষণতে ছেগ বুজি, ধৰ্ম্মাত্মা শ্ৰীকৃষ্ণই অৰ্জ্জুনক ক্ষান্ত হবলৈ সংকেত দি লৈ, কৰ্ণৰ প্ৰতি এই বুলি বিগত আৰু বৰ্ত্তমান কাৰ্য্যক্ষেত্ৰত ধৰ্ম্মাধৰ্ম্ম আৰু কৰ্ত্তব্যাকৰ্ত্তব্যৰ এটি বিজনি বিশদকৈ আঁকি দেখুৱাই অন্তিম কালৰ জ্ঞানদান দিলে, "হে সূতনন্দন। তোমাৰ এতিয়া ধৰ্ম্মলৈ মনত পৰিছে, সি অতি সহজ কথা। কিন্তু, ইয়াকো মনত পেলাই চোৱাঁচোন, যেতিয়া শকুনিৰ মন্ত্ৰণামতে তোমাৰ মতামত লৈ, দুৰ্যোধন আৰু দুঃশাসন বাধে

(১) কৃষ্ণভক্ত অৰ্জ্জুন সততে কৃষ্ণ-বুদ্ধিৰ দ্বাৰাই পৰিচালিত। সেই গুণৰ বাবে হে সেই সাংঘাতিক সমস্যা চকু-পচাৰতে শ্ৰীকৃষ্ণই ভঞ্জন কৰিব পাৰিছিল।

(২) দ্ৰৌপদীৰ বস্ত্ৰহৰণ আপাহত ভীমসেনে এই প্ৰতিজ্ঞা কৰিছিল।

ৰজস্বলা একবস্ত্ৰা দ্ৰৌপদীক চুলিত ধৰি চোঁচোৰাই নি ৰাজসভাত বিবস্ত্ৰা কৰিবলৈ প্ৰয়াস পাইছিল, তেতিয়া তোমাৰ ধৰ্ম্ম ক'ত বৈছিল? যেতিয়া বাৰণাৱত লা-ঘৰৰ তলত শুই থকা পথিক পঞ্চপাণ্ডৱক মাতৃসহ দাহ কৰাৰ উদ্দেশ্যে তুমি সেই ঘৰত জুই দিয়াইছিলা, তেতিয়া তোমাৰ এই ধৰ্ম্ম ক'ত আছিল? যেতিয়া দুৰাত্মা শকুনিৰ কুমন্ত্ৰণাত তোমাৰ অনুমোদনেৰে নিতান্ত অনভিজ্ঞ যুধিষ্ঠিৰক পাশা খেলত হৰুৱাই পাণ্ডৱৰ সৰ্ব্বস্ব জিনি লোৱা হৈছিল, তেতিয়া তোমাৰ ধৰ্ম্ম ক'ত বৈছিল? যেতিয়া তোমাৰ মতামত লৈ, দুৰ্য্যোধনে গুপুতে বিষপান কৰাই ভীমসেনক বধিবৰ যুগুতি কৰিছিল, তেতিয়া তোমাৰ ধৰ্ম্ম ক'ত বৈছিল? যেতিয়া তুমি সপ্তৰথীৰ এক ৰথী হৈ, দ্ৰোণ-ৰচিত অভেদ্য ব্যূহৰ মাজত অকলশৰীয়া শিশুযোদ্ধা অভিমন্যুক সাতোজনে বেৰি ধৰি সমশৰ প্ৰহাৰেৰে অঘাইত্ পাপযুদ্ধত বধ কৰিছিলাইক, তেতিয়া তোমাৰ ধৰ্ম্ম ক'ত আছিল? ইয়াকো স্মৰণ কৰিবাচোন, এই মহাৰণৰ আৰম্ভণৰপৰা বৰ্ত্তমানলৈকে তোমাৰ পক্ষীয়া যোদ্ধাবৰ্গে ৰণৰ হেতুবন্ধ[1] কিমানলৈকে ভঙ্গ কৰি আহিছে! হে কৰ্ণ! বিগত কালত যি অধৰ্ম্ম আচৰণ কৰি আহিছা, তাক নপথলাকৈ তুমি এতিয়া কোন্ সতে ধৰ্ম্মৰ দোহাই দিয়া?[2] তথাপি, অধৰ্ম্মাচৰণ কৰিবলৈ মই পাণ্ডৱক নকওঁ, অন্তিম-লৈকে ধৰ্ম্মেৰে অধৰ্ম্মক কটাকটি কৰিবলৈ হে উপদেশ দিওঁ। চোৱাঁ, এতিয়াও তোমাৰ অনুৰোধ ৰক্ষা কৰি, ৰণৰ হেতু-বন্ধনলৈ সুঁৱৰি চাই, অৰ্জ্জুন ক্ষান্ত হৈ বৈছে, তোমাৰ ৰথ-চকৰি উদ্ধাৰি লৈ, পূৰ্ব্ববৎ ৰথত চৰি, তুমি পুনৰপি ৰণত প্ৰবৃত্ত হোৱাঁ, কিন্তু, মনত ৰাখিবা, 'যতোধৰ্ম্মস্ততোজয়ঃ', ইয়াৰ অন্যথা হব নোৱাৰে। পূৰ্ব্বকালত যিৰূপে নিষধ দেশৰ অধিপতি ধৰ্ম্মাত্মা নল ৰজাই ভায়েক পুষ্কৰৰ লগত পাপ-পাশা খেলত সৰ্ব্বস্ব হেৰুৱাই পৰিশেষত পুনৰপি সমূদায় লাভ কৰিছিল, সেইৰূপে পাণ্ডৱবৰ্গেও ধৰ্ম্মানুষ্ঠানৰ ফলত নিজ ৰাজ-ধন সমূদায় পুনৰ্লাভ কৰিবগৈ, আৰু অধৰ্ম্মানুষ্ঠানৰ প্ৰায়শ্চিত্তস্বৰূপ কৌৰৱপক্ষ সমূলকে নাশ হবগৈ, ইয়াত লেশমানো সন্দেহ নাই।"[3]

শ্ৰীকৃষ্ণৰ জ্ঞানগৰ্ভ সত্যকথন অন্ত পৰিল। কৰ্ণ লাজত অৱনত হল। তাৰ পাচত, কৰ্ণই মৰ-বল দি, ৰথ-চকৰি উদ্ধাৰি লৈ, পুনৰপি ৰথত চৰি ৰণ আৰম্ভ কৰিলে। আকৌ তয়াময়া ৰণত আকাশ-পৃথিৱীত তোলপাৰ লাগিল। সদ্যোশেহত অৰ্জ্জুনৰ শৰবিদ্ধ হৈ মহাবীৰ কৰ্ণ ৰথৰপৰা বাগৰি পৰিল!

অষ্টত্ৰিংশ আধ্যা

শল্য, শাল্ব, শকুনি, চিত্ৰসেন আদিৰ পতন

ঘাই সেনাপতি মহাবীৰ কৰ্ণৰ পতনৰ লগতে দুৰ্য্যোধনৰ আশা-ভৰসা সকলোৰে পতন ঘটিল। তেওঁ জয়লাভৰ আশাত জলাঞ্জলি দি নিৰাশ হৈ ৰহিল। সেই ছেগতে, ভৱিষ্যত মঙ্গল গণি তেওঁৰ অস্ত্ৰগুৰু কৃপাচাৰ্য্যই সন্ধি স্থাপনৰ অৰ্থে দুৰ্য্যোধনক উপদেশ দি চাইছিল[4]; কিন্তু মহা কৌৰৱৰাজ দুৰ্য্যোধনে সেই সদুপদেশ দলিয়াই পেলালে। তেওঁ দাম্ভিক চিতেৰে এই বুলি কৈ উঠিল, "হয় ৰণত জয়লাভ, নহয় ৰণত পতন; ইয়াত বাজে মোৰ অন্য পথ হব নোৱাৰে।" এইবুলি, একেচাৱে উঠি গৈ, দুৰ্য্যোধনে মদ্ৰৰাজ শল্যবীৰৰ কাষ চাপি তেওঁক ঘাই সেনাপতিৰ বাব যাচিলেগৈ। কৰ্ণ ৰথীৰ সাৰথি হৈ শল্যবীৰৰ যি অভিমান খৰ্ব্ব হৈছিল, সি পুনৰুদ্দীপ্ত হৈ উঠিল, তেওঁ ততালিকে দুৰ্য্যোধনে যাজ্ঞা কৰা সেনাপতিৰ বাব গ্ৰহণ কৰি মহাদৰ্পে এই বুলি আকালি উঠিল, "শল্য জীৱিত আছেমানে

(১) ৰণৰ হেতুবন্ধনৰ বিষয়ে ইতঃপূৰ্ব্বতে ৩০শ আধ্যাত বিশদকৈ ব্যাখ্যা কৰা হৈছে।

(২) মহাভাৰত, কৰ্ণপৰ্ব্ব, ৯১ আধ্যা।

(৩) ধৰ্ম্মাধৰ্ম্ম আৰু কৰ্ত্তব্যাকৰ্ত্তব্যৰ পুনৰাবৃত্তিৰে সৈতে বুদ্ধিস্বৰ্গনাৰায়ণ শ্ৰীকৃষ্ণই এহাতে যেনেকৈ উগ্ৰতেজী কৰ্ণ-বীৰক নিস্তেজ কৰিছিল, আনহাতে তেনেকৈয়ে অগ্ৰজৰ কৰ্কৰ্থনাত নিস্তেজ হৈ অহা অৰ্জ্জুনক উত্তেজিত কৰিবলৈ প্ৰয়াস পাইছিল।

(৪) মহাভাৰত, শল্যপৰ্ব্ব, ৪ৰ্থ আধ্যা।

দুৰ্য্যোধন সমুখি হাতছিপা হোৱা নাই।" ইয়াকে কৈ, তেওঁ অনতিপলমে ৰণলৈ সাজু হল।

ইকালে পাণ্ডৱ শিবিৰতো পিচদিনাৰ ৰণত কোনে কি নেতৃত্ব গ্ৰহণ কৰিব তাৰ আলোচনা চলিছে। আগদিনা কৰ্ণৰ হাতত বিষমকৈ খাটি ৰণত পিঠি দেখুৱাৰ বাবে যুদ্ধকৰ্ত্তা যুধিষ্ঠিৰৰ গাত যি দোষৰ চেকা লাগিছিল, তাৰ অপনয়নৰ অৰ্থে চিন্তামণি শ্ৰীকৃষ্ণই চিন্তিব লাগিছে। এনেতে, শল্যৰ সেনাপতিত্ব গ্ৰহণৰ সংবাদ আহিল। বাসুদেৱে চিন্তি পালে যে, এই ছেগেই ছেগ, এই ছেগত যুধিষ্ঠিৰত ৰণৰ নেতৃত্ব আৰোপ কৰি তেওঁৰ নামে শল্যবধৰ কীৰ্ত্তি ৰাখি পাণ্ডৱপতিৰ অপযশ খণ্ডোৱা বাঞ্ছনীয়। এই ভাবি, শ্ৰীকৃষ্ণই পিচদিনাৰ ৰণত নেতৃত্বৰ ভাৰ গ্ৰহণ কৰিবলৈ যুধিষ্ঠিৰক পৰামৰ্শ দিলে। সেই পৰামৰ্শ পাণ্ডৱ শিবিৰত সাদৰে গৃহীত হল।

পিচদিনা পুৱাতে শল্য সেনাপতিয়ে বিশেষ আড়ম্বৰেৰে তেওঁৰ মনোমত ৰণব্যূহ ৰচনা কৰি কৌৰৱ যোদ্ধাসকলক যথা যথা স্থানত নিয়োগ কৰিলেগৈ। সিফালে পাণ্ডৱৰ পক্ষেও যুধিষ্ঠিৰৰ অনুজ্ঞা অনুসৰি, অৰ্জ্জুনে বিচিত্ৰ ব্যূহ ৰচনা কৰিলে। যথাসময়ত দুয়োদল মুখামুখি হলহি, আৰু অনতিপলমে যুদ্ধ আৰম্ভ কৰা হল। শল্যৰ সাহায্যত কৃতবৰ্ম্মা, অশ্বত্থমা, শাল্ব, শকুনি, চিত্ৰসেন, সত্যসেন, সুষেণ এই কেইজন কৌৰৱ সেনাপতি নিৰূপিত ঠাইত সাজু হলহি; অৰ্জ্জুনৰ লক্ষ্যত কৃপাচাৰ্য্য থাকিল, যুধিষ্ঠিৰৰ সাহায্যত ভীমসেন, ধৃষ্টদ্যুম্ন, নকুল, সহদেৱ, সাত্যকি এই-সকল পাণ্ডৱ যোদ্ধা সাজু হৈ আগ বাঢ়িল; ৰথী অৰ্জ্জুনক লৈ সাৰথি শ্ৰীকৃষ্ণই, সঙ্কটৰ সহায় স্বৰূপ ৰণ তত্ত্বাৱধাৰকৰ ভাৰ লৈ, সতৰ্কভাৱে সৈতে দুয়োপক্ষৰ কাৰ্য্য আৰু গতি-গোত্ৰ লক্ষ্য কৰিবলৈ ধৰিলে। যথাবিধি ৰণ লাগি উঠিল। শল্যৰে সৈতে যুধিষ্ঠিৰে, অশ্বত্থমাৰে সৈতে ভীমসেনে, কৃতবৰ্ম্মাৰে সৈতে সাত্যকিয়ে, চিত্ৰসেনৰে সৈতে নকুলে, শকুনিৰে সৈতে সহদেৱে, দুৰ্য্যোধনৰে সৈতে ধৃষ্টদ্যুম্নে প্ৰতি-যোগিতা পাতি দুয়ো দলে তুমুল সংগ্ৰাম পাতিলে। বহুপৰ-লৈকে ৰণ লাগিবই লাগিছে, উভয়পক্ষৰ অসংখ্যাত সেনা ৰণত পৰিব লাগিছে; দুয়োদলে মহসাহ, মহবল, মহ উৎসাহত মৰোঁ-জীওঁকৈ লাগিছে, কিন্তু কোন্ হাৰে কোন্ জিকে তাৰ একো চিন্ পোৱা নাই। পিচে, এজন-এজনকৈ কৌৰৱ সেনাপতি ৰণত পৰিবলৈ ধৰিলে। প্ৰথমেই চিত্ৰসেন পৰিল, তেওঁৰ লগতে সত্যসেন আৰু সুষেণ পৰিল; তাৰ পাচত শাল্ব, তাৰ পাচত শকুনি, এই অনুক্ৰমে পতন হৈ আধা পৰি আহিল। বাকী ৰলগৈ মাথোন কৃপাচাৰ্য্য, কৃতবৰ্ম্মা, অশ্বত্থমা আৰু দুৰ্য্যোধন;—সেনা ৰলগৈ এঘাৰ অক্ষৌহিনীৰ অৱশিষ্ট এঘাৰ হাজাৰ! সেই অৱশিষ্ট ভাগে অসহা বুজি ব্যৱস্থাত ধৰি, ৰণলৈ পিঠি দি উধাতু খাই হস্তিনাপুৰৰ মুখে উফৰি, পলাই-পত্ৰং দিলে, পিচে পিচে জিকাৰ পাঞ্চাল সেনাই খেদিবলৈ ধৰিলে। ইমানতে, দিনৰ অৱসানত, ৰণৰ হেতুৰজন অনুসৰি, সেই দিনৰ ৰণৰ সামৰণি পৰিল, সেই দিনা কুৰুক্ষেত্ৰ মহাৰণৰ সপ্তদশ দিন। পাণ্ডৱ পক্ষে মহা উলাহেৰে শিবিৰলৈ উলটি গৈ গগনভেদী জয়ধ্বনি তুলিলেগৈ, কৌৰৱ শিবিৰ মৰামুৱা হৈ জঁয় পৰিল।[১]

ঊনচত্বাৰিংশ অধ্যায়

দুৰ্য্যোধন-বধ

স্বৰূপত, কৰ্ণৰ পতনৰ লগতে দুৰ্য্যোধনৰ শেহ ভাৰসাৰো পতন হল, কুৰুক্ষেত্ৰ-মহাৰণত জয়লাভ কৰি কুৰুৰাজ্যত একাধিপত্য স্থাপন কৰা তেওঁৰ মনৰ কামনা মনতে মাৰ গল। তথাপি, তেওঁৰ অস্ত্ৰগুৰু কৃপাচাৰ্য্যৰ উদগনি আৰু উপদেশ অনুসৰি, মদ্ৰৰাজ শল্যক থাই সেনাপতি পাতি, বাকী থকা যোদ্ধাবৰ্গক আৰু এদিন ৰণত লগাই তেওঁ মন পতিয়াই চাইছিল। পিচে, এতিয়া তেওঁৰ এই শেহবলবো অন্ত পৰিল; মাথোন কৃপাচাৰ্য্য আৰু অশ্বত্থমা এই দুজন ব্ৰাহ্মণ সেনানায়ক আৰু কৌৰৱ পক্ষীয় যাদৱ নেতা কৃতবৰ্ম্মা

(১) মহাভাৰত, শল্যপৰ্ব্ব, ৩৪ অধ্যায়।

আহি ৰলগৈ। শিবিলাকো এভিয়া পাখিহীন পক্ষীৰ দিচিনা—সেনাপতি-সেনানায়ক। সদৌশেহত শিবিলাক তিনিজনো ছত্ৰভঙ্গ হোৱাদি হৈ, দিহাদিহি কোনোবা-কেনিবাদি আঁতৰ হল। ৰণক্ষেত্ৰত কৌৰৱ সেনা সমূলঞ্চে নাথাকিল,—থাকিল মাথোন অকলশৰে দুৰ্য্যোধন। তেওঁৰ মূৰত আকাশ ভাগি পৰাৰ দিচিনা হল। তেওঁ এবাৰ ৰঙা পৰে, এবাৰ শেঁতা পৰে, এইদৰে ঘনাই ৰৰণ সলাই বিবৰ্ণ পৰি আহিল; শেহান্তত সমূলি বিমোৰ হৈ, লাফমাৰি এটা ঘোঁৰাত চৰি, কান্ধত এহাতে নিজৰ দেহা-ৰখীয়া গদা, আৰু আনহাতে ঘোঁৰাৰ লেকাম ধৰি অটব্য অৰণ্যৰ মুখে ঘোঁৰা-চুটি মেলাই নিমিষতে নেদেখা হল। গৈ গৈ তেওঁ এখন অটব্য অৰণ্যৰ মাজত এটা হ্ৰদ[১] দেখা পালে। তাতে তেওঁ ঘোঁৰাৰপৰা নামি, কান্ধত গদা লৈ হ্ৰদত জাঁপ দিলে। তাৰ পাচত, সেই হ্ৰদৰ গৰ্ভস্থিত এটা দলপানি টিপৰ ওপৰত আসন পাতি বহি দুৰ্য্যোধন ধ্যানমগ্ন হল।[২]

পাণ্ডৱৰ যুদ্ধত জয়লাভ হল; কিন্তু পৰাজয় স্বীকাৰ কৰিবলৈ কেও নৰল! আন নহওক, কিন্তু বিপক্ষীয় যুদ্ধকৰ্ত্তা দুৰ্য্যোধন ৰণত নপৰাকৈ, বা জীৱিত অৱস্থাত থাকি, পৰাজয় স্বীকাৰ নকৰাকৈ জয়লাভ খাটাং হব নোৱাৰে। গতিকে, শ্ৰীকৃষ্ণৰ পৰামৰ্শ অনুসৰি, পাণ্ডৱ-সকলে দুৰ্য্যোধনক বিচাৰি খলক লগালে, কিন্তু ক'তো তেওঁৰ সন্ধান নাপালে। সদৌশেহত, এজন চিকাৰীৰ মুখে সন্তেদ পোৱা গল যে, কৌৰৱৰাজ পূৱমুখে ঘোঁৰাচুটি মেলি এখন অটব্য অৰণ্যত প্ৰৱেশ কৰিছেগৈ। পাণ্ডৱ ৰণুৱাসকলে সদলে সেই মুখেই উত্ৰাৱল হৈ খেদি গৈ, সেই হ্ৰদৰ পাৰত উপস্থিত হৈ, দুৰ্য্যোধনে এৰি যোৱা চেকাৰী ঘোঁৰাটো পালেগৈ; কিন্তু পলৰীয়া ৰজাৰ আন চিন্-মোকাম একো নাপাই আকৌ হতাশ হল। এনেতে, আকৌ কৃষ্ণ-বুদ্ধিৰ উপকাৰ পোৱা গল; দুৰ্য্যোধনৰ উদ্দেশে নিজানে নিজানে পাণ্ডৱৰাজ যুধিষ্ঠিৰে গৰিহণাসূচক বাক্যেৰে চিঞঁৰি চিঞঁৰি এই বুলি দ্বৈৰথ যুদ্ধলৈ দুৰ্য্যোধনক আহ্বান কৰিলে, "হেৰা দুৰ্য্যোধন! তুমি কুৰুকুলৰ কুলাঙ্গাৰ হৈ আমাৰ অখ্যাতি আনিলা, যোদ্ধা হৈ যুঁজলৈ ভয় কৰাৰ সমান অধৰ্ম্ম-অখ্যাতি আৰু একো হব নোৱাৰে। ই কদাপি ক্ষত্ৰিয়োচিত কাৰ্য্য হব নোৱাৰে। যদি তুমি নিভাজ ক্ষত্ৰিয় হোৱাঁ, তেন্তে ক'ত আছা, ওলাই আহাঁ। আহি, আমি পাঁচ-পাণ্ডৱৰ ভিতৰত যাকে তোমাৰ মনে ধৰে তাৰে সৈতে দ্বৈৰথ ৰণ দিয়াঁহি। মই প্ৰতিশ্ৰুত হৈছোঁ, পঞ্চপাণ্ডৱৰ ভিতৰৰ যেই-সেই এজনক তুমি বধ কৰিব পাৰিলেই কুৰুক্ষেত্ৰ-ৰণৰ জয়লাভ তোমাৰ হব, আৰু সেই অনুসাৰে তোমাৰ ৰাজ্য তোমাৰেই হব; আমি পুনৰপি বনবাস খাটিমগৈ।[৩] এতেকে আহাঁ, ক'ত আছা ওলাই আহাঁ, ধৰ্ম্মযুদ্ধত লাগি যোৱাঁহি। নাইবা, তুমি অক্ষত্ৰিয়, কাপুৰুষ।"

যুধিষ্ঠিৰৰ মুখৰ গ্লানিয়ে মহা অভিমানী কৌৰৱৰাজ দুৰ্য্যোধনৰ ধ্যানভঙ্গ কৰিলে, তেওঁ হ্ৰদৰ বুকুৰপৰা গম্ভীৰ গৰ্জ্জনেৰে এইবুলি সমিধান দিলে, "ৰাৰু, ৰবাঁ, গৈছোঁ; মই এজন-এজনকৈ তোমালোকৰ আটাইকেইজনকে যমৰ আলহী কৰি, তোমালোকৰ তেজেৰে ভীষ্ম, দ্ৰোণ, কৰ্ণ আৰু মোৰ ভ্ৰাতৃবৰ্গৰ তৰ্পণ কৰিমগৈ। কিন্তু যুধিষ্ঠিৰ! মই ৰাজ্যৰ পণত আৰু ৰণ নকৰোঁ; মই ৰাজ্য তোমাক দান কৰিছোঁ। যোৱাঁ, সেই মৰিশালি-ৰাজ্যত তুমিয়েই সুখেৰে ৰাজপাট খোৱাঁগৈ। তেনে ৰাজ্যৰ অধিপতি হবলৈ দুৰ্য্যোধনে কামনা নকৰে।" যুধিষ্ঠিৰে সগৰ্ব্বে এই বুলি উত্তৰ কাটিলে, "জানা, দুৰ্য্যোধন! মই তোমাৰপৰা ৰাজ্য-দান নিবিচাৰোঁ। মই বুকু ভাঠি পুনৰপি কওঁ, আহাঁ, যুদ্ধ দিয়াঁহি, তুমি আমাৰ ভিতৰৰ এজনক বধ কৰিব পাৰিলেই তোমাৰ ৰাজ্য তোমাৰ হব, আমি আকৌ বনবাস খাটিমগৈ।"

দুৰ্য্যোধনে লফিয়াই জঁপিয়াই উত্ৰাৱল হৈ আহি পাণ্ডৱ-দলৰ সমুখত অকলশৰীয়াকৈ থিয় দি, বাঘৰ দৰে গুজৰি

(১) এই হ্ৰদৰ নাম দ্বৈপায়ন হ্ৰদ।

(২) প্ৰক্ষিপ্ত কয়নামতে দুৰ্য্যোধনে হ্ৰদত বুৰ দি তাৰ তলিত থিত্ লৈছিল।

(৩) মহাভাৰত, শল্যপৰ্ব্ব, ৫৭ অধ্যায়।

এই বুলি যুদ্ধ বিচাৰিলেহি, "মোৰ লগত মোৰ ৰেহা-লগৰীয়া গদা মাথোন বৰ্ত্তমান, এতেকে মই গদা-যুদ্ধহে দিম। তোমালোকৰ ভিতৰত কোন্‌জনে মোৰ লগত গদাযুদ্ধ দিবলৈ সাহ কৰিবা, আহা। কিন্তু, নকুল-সহদেৱ তো নগণ্যই, মই যুধিষ্ঠিৰ-অৰ্জ্জুনকো তুচ্ছ জ্ঞান কৰোঁ। লাগিলে, একোবলৈ ভীমেই লাগিব পাৰে; এতেকে ভীমেই আগ বাঢ়ক, তেওঁকে আগধৰি আজি যমৰ ঘৰ দেখুৱাওঁ।"[১]

সেই অনুসৰি, ভীমসেন আৰু দুৰ্য্যোধনৰ মাজত তুমুল গদাযুদ্ধ আৰম্ভ হল! দুই মত্ত-মাতঙ্গ হেন মহাবীৰৰ যুদ্ধৰ আস্ফালনত মেদিনী কম্পমান হল। ৰণত ইজন সিজনতকৈ চৰা নহয়, কেৱল সিজন ইজনতকৈ পৰা নহয়, যুদ্ধ-কৌশলত দুইকো দুয়ে চৰে। কোন্ হাৰে কোন্ জিকে ঠিক নাই। ভয়ানক গদাযুদ্ধ চলিব লাগিছে। দেখি দেখি দৰ্শকে উশাহ সলাবলৈ সকাহ পোৱা নাই। এই ভাৱে ভালেমানপৰ ভীষণ যুদ্ধ চলি থাকোঁতে অকস্মাৎ ভীমসেনৰ পূৰ্ব্ব-প্ৰতিশ্ৰুতিলৈ[২] মনত পৰিল, তেওঁ ছেগ চাই এপাকত দুৰ্য্যোধনৰ উৰুত গদাঘাত কৰাত, তেওঁ কৰ্ফাল খাই পৰি মূৰ্চ্ছা গল।

দুৰ্য্যোধনৰ পতনত উপস্থিত পাণ্ডৱপক্ষীয় অপৰাপৰ যোদ্ধাবৰ্গে গগনভেদী জয়ধ্বনি উচ্চাৰণ কৰি ভীমসেনক অশেষ ধন্যবাদ, আৰু একেমুখতে মহামূঢ়া দুৰ্য্যোধনক বিস্তৰ গৰিহণা দিবলৈ ধৰিলে। পিচে, সেই অন্যায় গ্লানি শ্ৰীকৃষ্ণদেৱে সহিব নোৱাৰি বিৰক্তিৰ ভাৱত এইবুলি ধৰ্ম্ম-বুজনি দিলে, "মহামূঢ়া শত্ৰুৰ প্ৰতি অবাচ্য বাক্য বোলা বিধেয় নহয়।" তাৰ পাচত, দুঃশাসনৰ ৰক্তপায়ী কৰোঁতা ভীমসেনে বাক্যৰ হুৰে হুকাৰ ছাৰি পতিত বীৰ দুৰ্য্যোধনৰ শিৰত ঘনে ঘনে পদাঘাত কৰিবলৈ ধৰিলে। সেই কাৰ্য্যত অত্যন্ত ব্যথিত হৈ, ধৰ্ম্ম-যুধিষ্ঠিৰে অতিশয় ক্ষুব্ধ চিত্তেৰে এইবুলি ভীমক সেই অকাৰ্য্যাৰণৰা ক্ষান্ত কৰিলে, "হেৰা ভীম! তুমি এইটো গৰ্হিত কাম কৰিছা। হাজাৰো হওক, দুৰ্য্যোধন একজন ৰজা, আৰু তেওঁ আমাৰ বংশধৰ। বিশেষতঃ, ৰণত পতিত অৱস্থাত তেওঁৰ প্ৰতি তুমি এনে আচৰণ কৰা উচিত নহয়।" অগ্ৰজৰ উপদেশ শিৰোধাৰ্য্য কৰি ভীমসেন ক্ষান্ত আৰু শান্ত হল। কিন্তু, পাকাল কোৰৰ কেইজনৰ আকৌ গা উঠিল, সিবিলাকেও সেই ছেগতে দুৰ্য্যোধনক গৰিহণা দি মনৰ আক্ৰোশ মিটাবলৈ ধৰিলে। এনেতে, শ্ৰীকৃষ্ণদেৱে বৰ বিৰক্তভাৱে আগবাঢ়ি আহি সিবিলাকৰ সমুখত থিয় দি এইবুলি বুজনি দিলে, "মই ইয়াৰ আগেয়ে ভীমসেনক কোৱা কথালৈ আপোনাসকলক স্মৰণ কৰাই দিছোঁ;

(১) মহাভাৰত, শল্যপৰ্ব্ব, ৬১ আধ্যা। ভাগো দুৰ্য্যোধনে যুঁজলৈ ভীমক বাছি ললে, নাইবা সেই বাছনি আন এজন পাণ্ডৱৰ পৰা হলে আধ্যা! যুধিষ্ঠিৰৰ অতি সাধুতা আৰু দূৰদৃষ্টিহীনতাৰ দোষত পাণ্ডৱৰ পুনঃ বনবাস ঘটিলহেঁতেন।

(২) ইতিপূৰ্ব্বতে উল্লেখকিয়াই অহা হৈছে যে, শকুনিৰ লগত পাশা খেলত যুধিষ্ঠিৰে সৰ্ব্বস্ব হেৰুৱাৰ ফলত, একবস্ত্ৰা দ্ৰৌপদীক সভাস্থলত থিয় কৰাই বিবস্ত্ৰা কৰিবলৈ ধৰোঁতে, যেতিয়া দুৰ্য্যোধনে নিজৰ উৰু পাতি তাত বহুৱাবলৈ মাতি সতী দ্ৰৌপদীক লাঞ্ছিত কৰিছিল, তেতিয়া ক্ৰোধান্ধ ভীমসেনে এই ভীষ্মপ্ৰতিজ্ঞা কৰিছিল যে, সময়ত যদি তেওঁ নিজৰ গদাৰ কোৰত দুৰাচাৰ দুৰ্য্যোধনৰ সেই উৰু ভঙ্গ কৰিব নোৱাৰে, তেন্তে তেওঁৰ বৌ-বৌ নৰকত বাস হব। গতিকে, এই ছেগতে সেই প্ৰতিজ্ঞালৈ স্মৰণ কৰি ভীমসেনে গদাৰ কোৰত দুৰ্য্যোধনৰ উৰু ভঙ্গ কৰিলে। যুদ্ধৰ নীতি অনুসৰি কিন্তু গদাযুদ্ধত কদাপি বিপক্ষ যোদ্ধাৰ নাভিৰপৰা তলৰ ছোৱাত গদাঘাত কৰিব নাপায়। সেই কাৰণে, ভীমক এই নীতিভঙ্গৰ দোষে চুইছিল; কিন্তু এই দোষ চপাই নোলোৱা হলে তেওঁৰ প্ৰতিজ্ঞা পূৰ্ণ নকৰা দোষ বৈ গলহেঁতেন। প্ৰক্ষিপ্ত কল্পনাই আকৌ ভীমৰ এই প্ৰত্যবায় নি কৃষ্ণাৰ্জ্জুনৰ গাত লানিছেগৈ। সেইমতে, শ্ৰীকৃষ্ণৰ সঙ্কেত অনুসাৰে হেনো অৰ্জ্জুনে নিজৰ উৰুত চপৰিয়াই দেখুৱাই দুৰ্য্যোধনৰ উৰুভঙ্গ কৰিবলৈ ভীমসেনৰ মনত পেলাই দিছিল। এই অসাৰ কল্পনা সমূলি অস্বাভাৱিক। যি অৰ্জ্জুনে জ্ঞাতিবধ পাপৰ ভয়ত যুদ্ধৰপৰা নিবৃত্ত হবলৈ ধৰাত, ধৰ্ম্মাত্মা শ্ৰীকৃষ্ণৰ মুখে গীতা হেন অনুপম শাস্ত্ৰ সৃষ্টি হয়, সেই ভগৱান বাসুদেৱৰ সঙ্কেতত সেই অৰ্জ্জুনে ভীমকৃত এই দোষ গা পাতি লোৱাটো অপ্ৰকৃত নে অতিপ্ৰকৃত গমি চাবলগীয়া।

আপোনাসকলে অযথা চৰ্চ্চা কৰি, আৰ্জ্জিত গৌৰৱত কলঙ্ক চেকা নেপেলাব। ব'লক, আমি এতিয়া আমাৰ শিবিৰলৈ সদৌৱে উলটোঁহক।[১]

শ্ৰীকৃষ্ণৰ সঙ্কেত পাই অৰ্জ্জুন ৰথী ৰথত চৰিলত, অনতিপলমে কৃষ্ণ-সাৰথিয়ে তেওঁৰ ৰথ ৰণক্ষেত্ৰৰ মুখে চলাই দিলে। গতিকে, বাকীসকলেও তৰ্কবাদ আৰু গঞ্জনাদি পৰিহৰি অৰ্জ্জুনৰ ৰথৰ পিচ ধৰিলে; যথাসময়ত উলটি আহি পাণ্ডৱ দল পুনৰপি ৰণস্থলত সমবেত হলহি। তাৰ পাচত, ৰণ-ৰীতি অনুসাৰে, সিবিলাকে ৰণজয় ঘোষণা কৰি দি পাণ্ডৱ শিবিৰত বিজয় পতাকা উৰুৱালে। যুদ্ধৰ প্ৰচলিত নিয়মমতে বিজয়ীদলে, ৰণ সমাপ্তিৰ পিচদিনাৰ ৰাতিটো শিবিৰতে ৰক্ষিব লগীয়া হয়; কিন্তু শ্ৰীকৃষ্ণৰ উপদেশ অনুসৰি পঞ্চ-পাণ্ডৱে তাৰপৰা নিলগত দৰ্শক-শিবিৰত শয়ন কৰিলেগৈ। ইমানতে ওঠৰদিনীয়া কুৰুক্ষেত্ৰ-মহাৰণৰ সামৰণি পৰিল।

ৰণৰ অন্ত পৰিল, কিন্তু নৰহত্যাৰ অন্ত নপৰিল। সেই দুৰ্ঘোৰ ৰাতি, কুলনাৰীগণে হাতত আৰিয়া লৈ ৰণক্ষেত্ৰত প্ৰিয়জনৰ মৃতদেহা শেহবাৰ দৰ্শন কৰি বিননিত প্ৰকৃতিকো কন্দুৱাই যোৱাৰ পাচত, সকলোটি দুখ-ভাগৰ বেজাৰ-অসন্তোষত অভিভূত হৈ শেহ ৰাতি টোপনিত লালকাল দি পৰিল। সেই ছেগতে সতন্ত্ৰ অশ্বত্থামাই মৰণাহ দি, গুপ্তভাৱে পাণ্ডৱ শিবিৰত প্ৰৱেশ কৰি, টোপনিত অচেতন হৈ পৰি থকা দ্ৰৌপদীৰ পাঁচ পুত্ৰ[২] আৰু পাঞ্চাল কোঁৱৰ ধৃষ্টদ্যুম্ন আৰু শিখণ্ডীৰ মূৰ আনি মৃত্যুমুখী দুৰ্য্যোধনৰ আগত দিলেগৈ। পিচদিনা পুৱা উঠি সকলোৱেই পাণ্ডৱ শিবিৰত হাহাকাৰ লগালে, চৌপাশে বিলাপৰ কোঢ়াল উঠিল, বিজয়-পতাকাৰ আনন্দ হেন্দোলনিৰ তলত পৰাজয়ৰ বিষাদ কালিমা বিস্তাৰ হল।

শ্ৰীকৃষ্ণই ইমানতে ৰণক্ষেত্ৰৰপৰাই স্বৰাজ্য দ্বাৰকালৈ বিদায় লবলৈ বুলি যুধিষ্ঠিৰৰ কাষ চাপেগৈ; কিন্তু কৃষ্ণবিনে এৰাবাৰী যেন হস্তিনাপুৰত গৈ প্ৰৱেশ কৰাটো পাণ্ডৱৰ পক্ষে অসম্ভৱ যেন বোধ হল। গতিকে, অগ্ৰজপ্ৰতিম পাণ্ডৱৰাজৰ বাঞ্ছামতে বাসুদেৱে পুনৰপি হস্তিনাপুৰলৈকে উলটি গৈ, তাৰপৰা একেবাৰে শেষ-বিদায় লোৱাটোকে স্থিৰ কৰিলে। এইখিনিত তেওঁৰ মনত আৰু এটা সু-চিন্তাই খেলালে যে, যি হৈছে ভালেই হৈছে;—গৈ আকৌ ঘূৰি অহাতকৈ একেবাৰে তেওঁৰ ধৰ্ম্মৰাজ্য স্থাপনৰ উদ্দেশ্যৰো সামৰণি মাৰি যোৱাই শ্ৰেয়ঃ। সেই ভাবি, শ্ৰীকৃষ্ণই যুধিষ্ঠিৰৰ অনুৰোধ বিনা-ওজৰে ৰক্ষা কৰিবলৈ মান্তি হল।[৩] ইয়াৰ লগতে আৰু এটা মৰ্ম্মস্পৰ্শী অনুৰোধ

(১) মহাভাৰত, শল্যপৰ্ব্ব, ৫ম আধ্যা।—যি শ্ৰীকৃষ্ণই পতিত বীৰ দুৰ্য্যোধনক নিন্দা কৰা আৰু গৰিহণা সহিব নোৱাৰি বিৰক্তভাৱে পাঞ্চাল কোঁৱৰসকলক সাধু আৰু কটু উক্তিৰে বুজনি দি ক্ষান্ত কৰিছিল, সেই কৃষ্ণই অন্যায়-অবিধিকৈ দুৰ্য্যোধনৰ উৰু ভাঙিবলৈ ভীমসেনক অতি প্ৰিয় সখি আৰু ভক্ত শিষ্য অৰ্জ্জুনৰ জৰিয়তে সঙ্কেত দিওৱাটো যে অযুক্তিকৰ আৰু অসংলগ্ন আখ্যা তাত আৰু অকঁণো সন্দেহ নাই। —'দুৰ্য্যোধনৰ কৃষ্ণনিন্দা'।

(২) কথিত আছে, দুৰ্য্যোধনে, উৰুভঙ্গৰ পাচত অশ্বত্থামাক আদিকা থকা কৌৰৱ সেনাদলৰ ঘাই সেনাপতি পাতি এই আদেশ কৰিছিল যে, তেওঁৰ মৃত্যুৰ পূৰ্ব্বেই পঞ্চপাণ্ডৱ আৰু পাঞ্চাল কোঁৱৰদ্বয়ৰ মূৰ কাটি আনি তেওঁৰ আগত দেখুৱাবহি লাগিব। সেই অনুসৰি অশ্বত্থামাই চোৰ আক্ৰমণত পাঁচপাণ্ডৱ বুলি ভাবি দ্ৰৌপদীৰ পাঁচ পুত্ৰৰ মূৰ কাটি নি দুৰ্য্যোধনক দেখুৱায়গৈ; আৰু ধৃষ্টদ্যুম্ন আৰু শিখণ্ডীৰ মূৰৰ লগতে সেই পঞ্চমুণ্ড গণনা কৰি দুৰ্য্যোধনে অন্তিমত ভ্ৰান্তিসুখ অনুভৱ কৰিছিল।

—মহাভাৰত, সৌপ্তিক পৰ্ব্ব।

(৩) ইমানতে 'কুৰুক্ষেত্ৰ যুদ্ধ' বা 'কুৰু-পাণ্ডৱ-ৰণ' কিম্বা 'কুৰু-পাঞ্চালবিগ্ৰহ' অন্ত পৰে। কিন্তু, ইয়াৰ পাচতো, সৌপ্তিক পৰ্ব্বৰ অন্তৰ্গত ঐষীক পৰ্ব্বাধ্যায়ত এই ৰণ সংক্ৰান্ত কিছুমান কথা আছে, যাক ওপৰঞ্চি বুলি অনায়াসে সাব্যস্ত কৰা যায়। তাত শ্ৰীকৃষ্ণ-সংসৰ্গৰ কথা ইমানেই আছে যে, দ্ৰৌপদীৰ পাঁচপুত্ৰ বধৰ প্ৰতিশোধ দিবলৈ যেতিয়া পাণ্ডৱসকলে লুকাই থকা অশ্বত্থামাক ধৰা পেলায়গৈ, তেতিয়া তেওঁ অনোন্যোপায় হৈ ব্ৰহ্মশিৰ অস্ত্ৰ নিক্ষেপ কৰে; সেই অব্যৰ্থ অস্ত্ৰে পঞ্চপাণ্ডৱৰ প্ৰতি লক্ষ্যভ্ৰষ্ট হৈ, উত্তৰাৰ গৰ্ভস্থিত অভিমন্যুৰ পুত্ৰ-সন্তান নষ্ট কৰে। দ্ৰৌপদী, সুভদ্ৰা আৰু উত্তৰাৰ কাকুতিত অদ্ভুত বেজজানী শ্ৰীকৃষ্ণৰ চিকিৎসাত সেই মৃত সন্তান পুনৰ্জ্জীৱিত হয়। সেই সন্তানেই পৰীক্ষিত,—পাণ্ডৱৰ একমাত্ৰখোন বংশধৰ হয়গৈ।

কোমলপ্ৰাণ যুধিষ্ঠিৰে অতি কাতৰভাৱে এইবুলি আগবঢ়ালে, "হে কৃষ্ণ! তোমাৰ বিহনে আজি হস্তিনাপুৰৰ কুলনাৰী-সকলক সান্ত্বনা দিওঁতা আন আৰু কোন্ আছে? তুমি নুবুজালে আজি পুত্ৰশোকত জৰ্জৰিত বৃদ্ধ অন্ধৰাজক বুজাব কোনে? তোমাত বাজে পুত্ৰশোকত বিহ্বলা বৃদ্ধা গান্ধাৰীদেৱীক বুজাবলৈ আজি কাৰ সাহ আছে? তুমি নুবুজালে পঞ্চপুত্ৰৰ বিয়োগত অধীৰা দ্ৰৌপদীক আজি বুজাবলৈ সাধ্য আছে কাৰ? তোমাৰ অমৃতময় বুজনিত বাজে আজি পাঞ্চাল ৰাজবোৱাৰীসকললৈ আন কি বুজনি আছে? এই সবাৰো উপৰি, তোমাৰ অনু-পস্থিতিত এৰাবাৰী যেন হস্তিনাপুৰত পুনঃ ৰাজ্য প্ৰতিষ্ঠা হব কেনেকৈ? তোমাৰ সুনিপুণ ৰাজনৈতিক ব্যৱস্থা নহলে সমস্ত কৌৰৱ পৰিয়ালবৰ্গক যথাবিধিকৈ স্থাপিবপৰা হব কেনেকৈ? এতেকে, হে কৃষ্ণ! এই আগন্তুক সমস্যাত তুমি মোক লগ-এৰা নিদিবা।" শুনি শুনি মৰ্মাহত হৈ শ্ৰীকৃষ্ণদেৱে তথাস্তু বুলিলে।[1]

চত্বাৰিংশ আধ্যা

শ্ৰীকৃষ্ণৰ ধৰ্ম্মৰাজ্য স্থাপন

ৰণ-সামৰণৰ পাচত, তৃতীয় দিনা যথাৰীতি বিজয়পতাকা উৰাই মহা আড়ম্বৰেৰে সকৃষ্ণ পাণ্ডৱপক্ষ কুৰুজঙ্গ বা ইন্দ্ৰপ্ৰস্থলৈ উলটিল। বাহ্যিক আড়ম্বৰত মাথোন ৰণজয়ৰ আনন্দ-উৎসৱ, কিন্তু আভ্যন্তৰিক গোটেই ৰাজ্যজুৰি পৰাজয়তকৈও মহাপৰাজয়ৰ বিষাদ-কালিমা বিয়পি পৰিছে। গোটেই কুৰু-ৰাজ্য,—ইন্দ্ৰপ্ৰস্থৰপৰা হস্তিনাপুৰ-লৈকে,—এখন বিস্তৃত এৰাবাৰীৰ দৰে বিচ্ছেদ-বিষাদৰ অন্তৰ্নিহিত ভাৱত ম্লান পৰিছে। গোটেই ৰাজ্য বিধৱাৰ বিলাপ, মাউৰা ল'ৰা-ছোৱালীৰ কান্দোন, সমস্ত পৰিয়ালৰ খেদ ইত্যাদিয়ে গিলি ধৰিছে। কাৰো মনত স্ফূৰ্তি নাই, কাৰো মুখত হাঁহি নাই, সকলো নিস্তেজ, ম্লান আৰু নিৰানন্দ। শ্মশানৰপৰা ঘূৰি ঘৰ সোমালেহি যেনে বোধ হয়, ৰণৰপৰা ঘূৰি আহি নগৰ সোমোৱা ৰণজয়ী পাণ্ডৱ-পক্ষৰ তেনে বোধ হল। বিশেষকৈ, কোমলপ্ৰাণ অতি সাধু ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ অন্তৰত সেই বোধ সাংঘাতিক ৰূপে লাগিল; তেওঁ সহিব নোৱাৰি, ৰাজ্যৰপৰা আঁতৰি গৈ নিৰ্জ্জনত বনবাস খাটিবলৈ মনস্থ কৰিলে। সেই উদ্দেশ্যে তেওঁ গোপনেই অৰ্জ্জুনক মতাই আনি তেওঁৰ আগত নিজৰ মনোভাৱ ব্যক্ত কৰিলে। অৰ্জ্জুনে বিবিধ প্ৰকাৰে বিস্তৰ বুজালে, কিন্তু অগ্ৰজৰ মনৰ গতি লৰাব নোৱাৰিলে। তাৰ পাচত, ভীম, নকুল আৰু সহদেৱৰ লগতো সেই বিষয়ক কথা হল, কিন্তু অগ্ৰজৰ সংকল্প নলৰিল। তাৰ পাচত, দ্ৰৌপদীয়ে বিস্তৰ কাকুতি কৰি বুজনি দিলেহি, কিন্তু পাণ্ডৱৰাজৰ কোমল মন কোমলাব নোৱাৰিলে। যুধিষ্ঠিৰ বনলৈ যোৱাটোৱেই সাম্প্ৰতিকলৈ স্থিৰ হল!

সদৌশেষত, স্বয়ং শ্ৰীকৃষ্ণ ওচৰ চাপিলগৈ। বাসুদেৱে যুধিষ্ঠিৰৰ ধাতু ভালকৈ বুজে, আৰু সেইমতে নাড়ীজ্ঞান কৰি, তেওঁক বিবিধ বুজনি দিয়াত, তেওঁৰ বিষাদৰ বিকাৰ ক্ৰমাৎ শাম কাটি আহিল। শেষান্তত শ্ৰীকৃষ্ণই এই যুক্তি প্ৰয়োগ কৰিলে যে, যুধিষ্ঠিৰে যদি এতিয়া যথাবিধি হস্তিনাপুৰত ৰাজ্যাভিষিক্ত নহয়গৈ, তেন্তে কুৰুকুলৰ মহা-ৰণৰ উদ্দেশ্যই ভ্ৰষ্ট হব, আৰু তেওঁ যি কুৰুকুল আৰু অসংখ্যাত সেনানীৰ পতন হেতুকে বিষাদিত হৈছে, ৰণৰ উদ্দেশ্য ৰক্ষিত নহলে সেই বিষাদো ঠেকহীন হব, আৰু

(১) ইয়াৰ পাচত, স্ত্ৰী-পৰ্ব্বত শ্ৰীকৃষ্ণৰ প্ৰতি গান্ধাৰী দেৱীৰ অভিশাপ। শ্ৰীকৃষ্ণ পাণ্ডৱৰ পক্ষীয় হোৱাৰ হেতুকেই যে কৌৰৱ পক্ষীয় ধ্বংস হল, সেই ধাৰণাত দুৰ্য্যোধনাদিৰ মাতৃ গান্ধাৰী দেৱীয়ে এই বুলি শাপ দিলে যে, কৃষ্ণৰ খাবাৰে কৃষ্ণবংশ বা যদুকুল ধ্বংস হব। সেই দিন ধৰি ৩৬ বছৰৰ পাচত যদুবংশ ধ্বংস হয়।

স্ত্ৰী-পৰ্ব্বত আৰু এটা 'কাণ-খোৱা' গল্পৰ শ্ৰেণীৰ ঐতিহাসিক বিৱৰণ বিবৃত হৈছে; অন্ধৰাজ ধৃতৰাষ্ট্ৰই হেনো দুৰ্য্যোধনহন্তা ভীমক আলিঙ্গনৰ ছলেৰে চেপি চূৰ্ণীকৃত কৰিবলৈ পাঙিছিল; অন্তৰ্য্যামী ভগৱান শ্ৰীকৃষ্ণই কৌশল-ক্ৰমে ভীমৰ সলনি এটা লোৰ ভীম ধৃতৰাষ্ট্ৰৰ কোলাত তুলি দিয়াত তাক ভাঙি চূৰ্ণীকৃত কৰি ভীমবধৰ ভ্ৰান্তিসুখ তেওঁ উপভোগ কৰিছিল।

সেইবাবে তেওঁ অবাৰত নৰহত্যা পাপৰ পাপী হব। শ্ৰীকৃষ্ণৰ কথাত যুধিষ্ঠিৰে পুনঃ চেতনা পালে। যথাসময়ত মহাসমাৰোহেৰে যাত্ৰা কৰি, অনতিপলমে হস্তিনাপুৰত কুৰুৰাজ-সিংহাসনত যথাবিধি যুধিষ্ঠিৰ ৰাজ্যাভিষিক্ত হলহি; লগে লগে শ্ৰীকৃষ্ণৰ ধৰ্মৰাজ্য স্থাপনৰ মহৎ উদ্দেশ্য সাধিত হল।—"য'তে কৃষ্ণ ত'তে ধৰ্ম, য'তে ধৰ্ম ত'তে জয়" এই ভীষ্ম-দ্ৰোণ-ব্যাস বাণী সপ্ৰমাণিত হল।

আনহাতে, তেতিয়ালৈকে মহামতি পিতামহ ভীষ্মদেৱে শৰশয্যাত পৰি মৃত্যুক্ষণলৈ অপেক্ষা কৰিব লাগিছে, কাৰণ তেতিয়ালৈকে তেওঁৰ বাঞ্ছিত উত্তৰায়ণ ক্ষণ নৌ চাপেহি। ইতি-অৱসৰতে তেওঁৰপৰা তেওঁৰ সুগভীৰ হৃদগৰ্ভত গচ্ছিত থকা জ্ঞানোপদেশ লাভ কৰিবলৈ শ্ৰীকৃষ্ণই যুধিষ্ঠিৰাদি পাণ্ডৱবৰ্গক পৰামৰ্শ দিলে। সেই অনুসৰি, জ্ঞাতি-ভাই আৰু পাত্ৰ-মন্ত্ৰী সকলেৰে বেষ্টিত হৈ, পঞ্চপাণ্ডৱে ভীষ্মদেৱক শৰশয্যাত আগুৰি ধৰিলেগৈ। সিবিলাকে এজন-এজনকৈ মৃত্যুমুখী পিতামহৰ চৰণ চুই সভক্তি সেৱা জনালে, আৰু ভীষ্মদেৱেও ধীৰে ধীৰে সিবিলাকৰ শিৰস্পৰ্শ কৰি আশীৰ্ব্বাদ দিলে। তাৰ পাচত, শ্ৰীকৃষ্ণই পাণ্ডৱৰ হৈ ভীষ্মদেৱৰ ওচৰত ধৰ্ম্মোপদেশ দান ভিক্ষা কৰিলে। তদুত্তৰত তীব্ৰ শৰশয্যাগত অদ্ভুত মনোবল-সম্পন্ন বিষ-যন্ত্ৰণাত জৰ্জ্জৰিত মহাবীৰ ভীষ্মদেৱে অসীম সহিষ্ণুতাৰে সৈতে শ্ৰীকৃষ্ণক এই সম্বিধান দিলে, "হে অন্তৰ্যামী ভগৱন্ত! হে জ্ঞানাধাৰ! জ্ঞানাজ্ঞান, ধৰ্ম্মাধৰ্ম্ম, কৰ্ত্তব্যাকৰ্ত্তব্য সকলো দেখোন তোমাতেই, তুমিয়েই সেই সকলো। গতিকে, তুমিয়েই যুধিষ্ঠিৰক কৃপা কৰি জ্ঞান-ধৰ্ম্মোপদেশ যি হয় দিয়া; বিশেষতঃ, সম্প্ৰতি মোৰ অতি কাতৰ অৱস্থা, মোৰ স্মৰণ-শক্তি ক্ৰমাৎ দুৰ্ব্বল হৈ পৰিছে। এতেকে, প্ৰভো! নিজৰ জ্ঞান নিজেই দান কৰি পাণ্ডৱক চৰিতাৰ্থ কৰা।" এই বুলি ভীষ্মদেৱে সৰ্ব্বময় সৰ্ব্বজ্ঞানী পৰমপুৰুষ শ্ৰীকৃষ্ণক ধ্যান কৰিবলৈ ধৰিলে।

ভীষ্মভক্তিত পৰিতুষ্ট হৈ, ভগৱন্ত শ্ৰীকৃষ্ণদেৱে তেওঁক এই বুলি মনোভাব ব্যক্ত কৰিলে, "হে নৰশ্ৰেষ্ঠ! আপুনি সবাতকৈ বয়োবৃদ্ধ, আপুনি শাস্ত্ৰজ্ঞানত সবাতোকৈ জ্ঞানী; আপুনি শুদ্ধাচাৰসম্পন্ন। আপোনাৰ অবিদিত একো নাই; আপুনি ৰাজ-ধৰ্ম্ম, সংসাৰ-ধৰ্ম্ম, মোক্ষ-ধৰ্ম্ম আৰু অপৰাপৰ সকলো গূঢ় ধৰ্ম্মজ্ঞানৰ ভঁৰালস্বৰূপ। আপোনাৰ প্ৰতিজ্ঞাৰ তুলনা নাই; আপোনাৰ ব্ৰহ্মচৰ্য্যৰ বিজনি নাই। আপোনাৰ তিনিপুৰুষীয়া সুদীৰ্ঘ জীৱনত কোনো প্ৰকাৰৰ দোষৰ লেশমানো চেকা নাই; আপুনি অতি বিশুদ্ধ, পৰম পবিত্ৰ। ভূপতিসকলেও সৰ্ব্বধৰ্ম্মবেত্তা বুলি আপোনাৰপৰা ধৰ্ম্মজ্ঞান লাভ কৰিবলৈ বাঞ্ছা কৰে। পাণ্ডৱ ভূপতি আৰু ভূপাল-সকলেও সেই জ্ঞান লাভ বাঞ্ছা কৰিছে। আপুনি আপোনাৰ প্ৰতিপালিত এই নাতিকোৰবৰ্গক ৰাজনীতি-জ্ঞান দান কৰি পৃথিৱীৰ উপকাৰাৰ্থে সিবিলাকৰ বাঞ্ছা সিদ্ধি কৰোক। আপোনাক কোৱা বাহুল্য মাথোন যে, সৃষ্টি আৰু পালন একে শক্তিৰ ওপৰত নিৰ্ভৰ নকৰে। মোৰ যন্ত্ৰ-কৌশলত ৰণজয়ৰ দ্বাৰাই ধৰ্ম্ম ৰাজ্য স্থাপিত হল; আপোনাৰ কষ্ট স্বীকাৰত অক্ষয় ধৰ্ম্মজ্ঞানৰ দ্বাৰাই এই ধৰ্ম্মৰাজ্য ৰক্ষিত হওক, আৰু সেই বাবে আপোনাৰ যশস্যা বৈ-বৈ থাওক, এয়ে মোৰ বাঞ্ছা। আৰু, ধাৰ্ম্মিকক ৰজা পাতিলেই ধৰ্ম্মৰাজ্য অক্ষুণ্ণভাবে চিৰকাল ৰক্ষিত নহয়, কিয়নো তেওঁৰ বংশধৰ হয়তো ধৰ্ম্মজ্ঞানৰ অভাৱত অধৰ্ম্মী হব পাৰে; এতেকে আপুনি সমস্ত ধৰ্ম্ম ব্যাখ্যা কৰি যাওক।"[১]

ভীষ্মদেৱৰ আৰাধ্য শ্ৰীকৃষ্ণদেৱৰ অমূল্য অনুৰোধ শিৰোধাৰ্য্য। সেই অনুসৰি জ্ঞানৰ ভঁৰালস্বৰূপ মহামতি পিতামহ ভীষ্মদেৱে যুধিষ্ঠিৰাদি শ্ৰোতাবৰ্গৰ প্ৰতি গৃহধৰ্ম্ম, ৰাজধৰ্ম্ম, আসন্নধৰ্ম্ম, মোক্ষধৰ্ম্ম ইত্যাদি বিষয়ক বিশদ জ্ঞান ব্যাখ্যা কৰিবলৈ ধৰিলে।[২] সেই ধৰ্ম্মজ্ঞান ব্যাখ্যা কৰি থাকোঁতে-থাকোঁতেই তেওঁৰ অন্তিমক্ষণ উপস্থিত হল, কওঁতে-কওঁতেই তেওঁৰ কণ্ঠৰোধ হল, নশ্বৰ দেহা নাশ

(১) মহাভাৰতৰ শান্তিপৰ্ব্ব আৰম্ভণ।

(২) মহাভাৰতৰ শান্তিপৰ্ব্বৰ সৰহভাগ এই ধৰ্ম্ম-ব্যাখ্যাৰেই পৰিপূৰ্ণ। শান্তিপৰ্ব্ব সামৰণৰ পাচত অনুশাসন পৰ্ব্ব। ইয়াতো ভীষ্মদেৱে যুধিষ্ঠিৰক দিয়া বিবিধ হিতোপ-দেশ সন্নিবিষ্ট হৈছে। এই সমূহ ধৰ্ম্মজ্ঞানেই ভাৰতত ধৰ্ম্মৰাজ্য বিস্তাৰৰ মূলমন্ত্ৰ। এই ধৰ্ম্মজ্ঞান টুটি অহাৰ লগে লগেই কলিযুগত ধৰ্ম্মৰাজ্য ক্ৰমাৎ চাপখাই অহা দেখা যায়।

হবলৈ ধৰিলে, ভীষ্মদেৱৰ অবিনাশী জীৱাত্মা পৰমাত্মাত লয় হল।

ভীষ্মপ্ৰয়াণে যুধিষ্ঠিৰৰ প্ৰাণত পুনৰপি বৈৰাগ্যৰ নিজৰা বোৱাবলৈ ধৰিলে। তেওঁ আকৌ বিয়াকুল হৈ বনলৈ যাবলৈ ওলাল। ঋষি-মুনি পণ্ডিত-জ্ঞানী লোকসকলে অশেষ বুজনি দিলে, কিন্তু একোৱেই গুণ দিব নোৱাৰিলে; যুধিষ্ঠিৰ এইবাৰ স্থিৰপ্ৰতিজ্ঞ, ৰাজ্যত্যাগী হবই। আকৌ এটা মহাসমস্যা উপস্থিত। এনে আসন্ন আপদত শ্ৰীকৃষ্ণয়ো বিপন্ন বোধ কৰিলে। শেহান্তত, শ্ৰীকৃষ্ণই বাহ্যিক জ্ঞান-বুজনিৰ যুজ এৰি, আপোনাৰ আধ্যাত্মিক ব্যাখ্যা যুদ্ধত ধৰিলে। যি জ্ঞানতত্ত্ব-অস্ত্ৰেৰে অৰ্জ্জুনৰ বৈৰাগ্য বিনষ্ট কৰি তেওঁক পুনঃ যুদ্ধত প্ৰবৃত্ত কৰোৱা হৈছিল, যুধিষ্ঠিৰৰ প্ৰতিও বাসুদেৱে সেই শৰ-যোজনা কৰিলে; ভগৱান শ্ৰীকৃষ্ণই কামগীতাৰ ব্যাখ্যা আৰম্ভ কৰিলে। এই গীতাব্যাখ্যাত কাম-ধৰ্ম্মৰ আৰু নিষ্কাম ধৰ্ম্মৰ বহুল ব্যাখ্যা দি যুধিষ্ঠিৰক পৰাজিত কৰিবলৈ এক অজয় শত্ৰুক সম্মুখীন কৰা গল,—তেওঁৰ নাম অহঙ্কাৰ। বুদ্ধিস্বৰ্গনাৰায়ণ শ্ৰীকৃষ্ণদেৱে গহীন-গম্ভীৰ ভাৱে যুধিষ্ঠিৰক এই বুলি সম্বোধন কৰিলে, "হে ধৰ্ম্মৰাজ! আপুনি কলৈ পলাব খুজিছে? আপোনাৰ যে এতিয়াও শত্ৰুৰ অন্ত পৰা নাই, এতিয়াও আপোনাৰ মহাশত্ৰু বৰ্ত্তমান। আপুনি ইমানলৈকে বাহিৰৰ শত্ৰুক জিনিলে, কিন্তু ভিতৰৰ শত্ৰু এতিয়াও অজেয় হৈ ৰৈছে। সেই শত্ৰুৰ পতন নহলে আপোনাৰ নিস্তাৰ নাই,—আপুনি ৰাজ্যতে থাওক বা বনলৈকে যাওক, সেই মহাশত্ৰুৰ পীড়নৰপৰা আপোনাৰ অব্যাহতি নাই। সেই শত্ৰু হৈছে অহঙ্কাৰ। সি আপোনাৰ দেহাৰ ভিতৰত দুৰ্জ্জয় শত্ৰুৰূপে একাধিপত্য কৰি আছে, আপুনি বাহ্যিক দৃষ্টিৰে সেই মহা অনৰ্থৰ মূলস্বৰূপ শত্ৰুক দেখা পোৱা নাই। মই তাৰ তত্ত্ব ব্যাখ্যা কৰোঁ, আপুনি স্থিৰ-চিত্তেৰে শুনি গৈ থাকিব; শুনোতে শুনোতে আপোনাৰ দিব্যদৃষ্টি লাভ হব, আৰু আপুনি সেই মহাশত্ৰুক দেখা পাব।" এই বুলি, শ্ৰীকৃষ্ণই বিশদকৈ কামগীতা ব্যাখ্যা কৰিবলৈ ধৰিলে। এই গীতা-কথনে ইতিপূৰ্ব্বতে ঘাই গীতাৰ গৰ্ভত ঠাই পাইছে; এই প্ৰসঙ্গত তাৰ লাগতিয়াল ভাগৰ সাৰাংশ মাথোন সৰ্ব্বশাস্ত্ৰ-বিশাৰদ অদ্বিতীয় অগাধ পণ্ডিত শ্ৰীকৃষ্ণই এই ধৰে ব্যাখ্যা কৰিবলৈ ধৰিলে,—"হে ধৰ্ম্মৰাজ! মই আপোনাক কাম-গীতাৰ সাৰমৰ্ম্মৰ বিষয়ে চমুকৈ কওঁ, আপুনি মনপাতি শুনিব। আশা কৰোঁ, এই গীতাতত্ত্ব উপলব্ধি কৰাৰ পাচত আৰু আপোনাৰ মনত বৈৰাগ্য ভাৱ নাথাকে। যি ব্যাধিৰ বিকাৰত আপোনাৰ মনত এই বৈৰাগ্য ভাৱ প্ৰবল হৈ উঠিছে, তাৰো তত্ত্ব কওঁ শুনক। হে মহাৰাজ! সাধাৰণতে ব্যাধি দুবিধ,—শাৰীৰিক আৰু মানসিক। যি ব্যাধিয়ে শৰীৰত বিকাৰ জন্মায় সি শাৰীৰিক আৰু যি মনত বিকাৰ জন্মায় সি মানসিক ব্যাধি। এই ব্যাধিৰ বিকাৰ মানুহে নিজত নিজে অহঙ্কাৰৰূপ শত্ৰুক পোহ-পাল দি বঢ়াই লয়। অহঙ্কাৰ নহলে, আত্মাভিমান শূন্য হলে, নাইবা অহংভাৱ ৰহিত হলে, কোনোবিধ ব্যাধিৰেই অনুভৱৰ ভয় নাথাকে। তাৰ অন্যথাত, আপুনি য'তে থাওক,—ৰাজ্যভোগীয়েই হওক বা বনচাৰীয়েই হওক,—আপোনাক আক্ষেপ-অনুতাপ, শোক-সন্তাপ, দুখ-কষ্ট আদিয়ে লগ নেৰে; ফলত আপোনাৰ দুখতেই দিন যাব। কাৰণ, যি বংশ-কুটুম্ব, বন্ধু-বান্ধৱ আদিৰ বিয়োগত আপুনি আজি আন্তৰিক তাপিত হৈ বনলৈ যাবলৈ ওলাইছে, সেই বিয়োগৰ সোঁৱৰণীয়ে আপোনাক বনতো লগ নেৰে; তাত বৰঞ্চ ৰাজ্যচিন্তাশূন্য পাই আপোনাৰ অন্তৰত তাৰ দখল বহল হে হব। এতেকে, হে ধৰ্ম্মৰাজ! আপুনি এতিয়া মাথোন পৰব্ৰহ্মক স্মৰণ কৰি সেই দ্বিবিধ ব্যাধিৰপৰা মুক্ত থাকিবলৈ পৰিযত্ন হওক। সেই অৰ্থে আপুনি ভীষ্ম, দ্ৰোণ, কৰ্ণ হেন বীৰতকৈও বলৱন্ত বীৰৰে সৈতে যুদ্ধ কৰিব লগীয়া হৈছে,—সেই বলৱন্ত বীৰ শত্ৰু হৈছে আপোনাৰ অন্তৰস্থিত অহঙ্কাৰ। এই অহঙ্কাৰক পৰাভূত কৰিব নোৱাৰিলে ইহ-পৰকালত আপোনাৰ উদ্গতি নাই; কদাপি আপোনাৰ পৰব্ৰহ্ম লাভ নহব। এতেকে, সেই উদ্দেশ্যে আপুনি যোগাভ্যাস আৰু তাৰ আনুসঙ্গিক লাগতিয়াল কাৰ্য্যানুষ্ঠান আৰম্ভ কৰোক। অকল ৰাজ্যত্যাগী হলেই সিদ্ধিলাভ নহয়। যজ্ঞানুষ্ঠানত প্ৰবৃত্ত হোৱাৰ প্ৰয়োজন। হে মহাৰাজ! সকাম আৰু নিষ্কাম ধৰ্ম্মৰ তত্ত্ব উপলব্ধি নহলে, মোৰ এই উপদেশ পালন কৰিবলৈ উজু নহব; গতিকে, এই দুই ধৰ্ম্ম-তত্ত্ববিষয়ক

কাৰগীতা ব্যাখ্যা কৰোঁ, শুনক।" এই বুলি ভগৱন্ত শ্ৰীকৃষ্ণই ইতিপূৰ্ব্বে অৰ্জ্জুনৰ আগত গীতা-কথনত সকাম আৰু নিষ্কাম ধৰ্ম্মৰ যি ব্যাখ্যা দিছিল, তাৰ সাৰাংশ যুধিষ্ঠিৰকো শুনালে। মায়া-মমতাই জীৱাত্মাক কেনেকৈ সংসাৰত অভিভূত কৰি ৰাখে, আৰু অময়া আৰু নিৰ্ম্মমতাই কেনেকৈ পৰব্ৰহ্ম লাভলৈ বাট চমু কৰে, তাক ধৰ্ম্মাত্মা শ্ৰীকৃষ্ণদেৱে চমুকৈ ব্যাখ্যা কৰি, ধৰ্ম্মৰাজ যুধিষ্ঠিৰক এই বুলি সিদ্ধান্ত পৰামৰ্শ দিলে, "ধৰ্ম্মৰাজ! আপুনি সেই দুৰ্দ্দম কামনাজনিত মায়া-মমতাস্বৰূপ জাল কাটি ওলাবৰ অৰ্থে যথাবিধি অশ্বমেধ-যজ্ঞ আৰু তাৰ পৰবৰ্ত্তী সুসমৃদ্ধ যজ্ঞ-কৰ্ম্মানুষ্ঠানাদিত প্ৰবৃত্ত হওক।"[১]

ধৰ্ম্মাৱতাৰ ভগৱন্ত শ্ৰীকৃষ্ণৰ ধৰ্ম্মতত্ত্ব ব্যাখ্যাই ধৰ্ম্মপ্ৰাণ যুধিষ্ঠিৰক প্ৰকৃতিস্থ কৰিলে। তেওঁ তেতিক্ষণতে শ্ৰীকৃষ্ণ সমক্ষত প্ৰতিশ্ৰুত হল যে, তেওঁ অনতিপলমে মহাসমাৰোহেৰে অশ্বমেধ যজ্ঞানুষ্ঠানৰ অৰ্থে যত্নপৰ হব। তদ্ৰূপ তেওঁ কাৰ্য্যতো তৎপৰ হল।[২] ধৰ্ম্মাৱতাৰ শ্ৰীকৃষ্ণৰ ধৰ্ম্মৰাজ্য স্থাপনৰ উদ্দেশ্য সিদ্ধি হল; তেওঁ নিজ ৰাজ্যৰপৰা অশ্বমেধ যজ্ঞলৈ লোকদৰ্শকৰূপে নিমন্ত্ৰিত হৈ অহাৰ উদ্দেশ্যে, যুদ্ধকৰ্ত্তা শ্ৰেষ্ঠপাণ্ডৱ যুধিষ্ঠিৰৰ ওচৰত বিদায় লৈ, পাকতে দ্বাৰকাৰপৰা দ্বাৰকেশ্বৰ ঘূৰি আহিলগৈ। তাৰ পাচত, তৃতীয়বাৰ[৩] অশ্বমেধ যজ্ঞ সুসম্পন্ন কৰাই, ধৰ্ম্মৰাজ্যৰ ৰাজপাটত ধৰ্ম্মৰাজ যুধিষ্ঠিৰক স্থিৰভাৱে থিতাপি কৰি, অসাধাৰণ ৰাজনৈতিক মহামানৱ ভগৱান শ্ৰীকৃষ্ণদেৱে পাণ্ডৱ পৰিয়ালৰ ওচৰত শেষ-বিদায় লৈ, দ্বাৰকালৈ প্ৰত্যাগমন কৰিলে।

ইতিক্ৰমে, মানৱ জীৱনৰ আদ্য, মধ্য আৰু অন্ত্য লীলাৰ সামৰণত, অধৰ্ম্মাচৰণ পাপৰপৰা ভাৰতক পুনৰুদ্ধাৰ কৰি, সদোৎসহত আত্মীয়াকৈ স্বৰাজ্য দ্বাৰকাৰ ৰাজকাৰ্য্য পৰ্য্যালোচনাৰ্থে মুকুটত্যাগী ৰাজ-ৰাজেশ্বৰ দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণ নিজৰ ৰাজধানী দ্বাৰাৱতীত এদনীয়াকৈ ৰহিল। ইত্যৱসৰত ধৰ্ম্মাৱতাৰ ৰাম-কৃষ্ণ বাসুদেৱদ্বয়ে দ্বাৰকাৰ চৌপাশে পৰ্য্যটন কৰি, স্বৰাজ্যৰ অন্তৰ্নিহিত ধৰ্ম্মাধৰ্ম্ম বিষয়ক কাৰ্য্য পৰ্য্যবেক্ষণ কৰিবলৈ ধৰিলে।

একচত্বাৰিংশ অধ্যায়

যদুবংশ ধ্বংস

ইচ্ছাময় ভগৱান শ্ৰীকৃষ্ণৰ পৱিত্ৰ ইচ্ছা কাৰ্য্যত ফলিয়ালে; ধৰ্ম্মৰ জয় আৰু অধৰ্ম্মৰ পৰাজয় তেওঁ স্ব-ইচ্ছাৰে সাধন কৰি জগতক দেখুৱালে। সেইকালত যিবিলাক অধৰ্ম্মী আৰু স্বেচ্ছাচাৰী ভূপতিয়ে অধৰ্ম্মাচৰণ আৰু প্ৰজাপীড়নেৰে ভাৰতক প্ৰপীড়িত কৰিছিল, সেইবিলাকৰ কিছুমানক শ্ৰীকৃষ্ণদেৱে এজন-এজনকৈ নিজে নিধন কৰি, বাকীবিলাকক সমূহবলৰ দ্বাৰাই নিধন কৰাই, পাপৰ তাৰ লঘু কৰাত, ভাৰত যেন আকৌ এবোপ ওপৰলৈ উঠিল। শ্ৰীকৃষ্ণই বাল্যকালত কালিয় প্ৰমুখ্যে ভালেমান লোকহন্তাক নাশ কৰে; যৌৱন কালত কংস, জৰাসন্ধ, কালযৱন, শাল্ব, নৰকাসুৰ, শম্বৰ, শিশুপাল, দন্তবক্ৰ প্ৰভৃতিক স্বয়ং নিপাত কৰে[৪]; প্ৰৌঢ় কালত হৰি-হৰ ৰণ, কুৰুক্ষেত্ৰ-যুদ্ধ ইত্যাদিত অধৰ্ম্মাচাৰী সমূহক ধৰ্ম্মানুৱৰ্ত্তী সমূহবল সংযোগেৰে নিধন কৰে। তদুপৰি, তাৰ লগে লগে, ছেগ বুজি, ন্যায়-ধৰ্ম্ম, নীতি-শিক্ষা আদি বিস্তাৰ কৰিবলৈকো ধৰ্ম্মাত্মা বাসুদেৱে ত্ৰুটী কৰা নাই; ছেগ পালেই ভগৱান শ্ৰীকৃষ্ণই আধ্যাত্মিক জ্ঞান দান দিবলৈকো বাকী এৰা নাই;—তাৰ জলন্ত পটন্তৰ পৃথিৱীৰ কৰ্ম্মক্ষেত্ৰত নিষ্কাম ধৰ্ম্মশাস্ত্ৰ গীতা-সৃষ্টি। গৃহস্থালী, সামাজিক, আধ্যাত্মিক, ৰাজনীতিক, সকলো বিষয়তে সমজ্ঞানী সৰ্ব্বশাস্ত্ৰবিশাৰদ সম্পূৰ্ণ আদৰ্শ মানৱ শ্ৰীকৃষ্ণই সমভাৱে শিক্ষা, জ্ঞান আৰু দীক্ষা দানেৰে পতিত ভাৰতক উদ্ধাৰ কৰে। ইত্যাদি অসাধাৰণ কাৰ্য্যৰ বাবেই

(১) 'অনুগীতা' আৰু 'ব্ৰহ্মগীতা'।
(২) কৃষ্ণাৰ্জ্জুন,—বভ্ৰুবাহন সংবাদ।
(৩) "অযাজয়দ্ধৰ্ম্ম সুতমশ্বমেধৈস্ত্ৰিভিৰ্বিভুঃ।
সোহপিক্ষ্মামনুজৈ ৰক্ষনেমে কৃষ্ণমনুব্ৰতঃ॥"
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, তৃতীয় অধ্যায়, ১৮ শ্লোক।
(৪) শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৩য় অধ্যায়, ১০ম আৰু ১১শ শ্লোক।

তেওঁ মহামতি ভীষ্মদেৱৰ মুখে এইবুলি পূজিত হয়, "য'তে কৃষ্ণ ত'তে ধৰ্ম ; য'তে ধৰ্ম ত'তে জয়।"[১] শ্ৰীকৃষ্ণৰ নিষ্কাম কামনা সিদ্ধি হল ;—ধৰ্মপক্ষীয় পাণ্ডৱৰ উদ্ধাৰ হল, অধৰ্ম-পক্ষীয় কৌৰৱৰ পতন হল, ভাৰতত পুনৰপি ধৰ্মৰাজ্য সংস্থাপিত হল, পৃথিবীৰ অধৰ্ম-ভাৰ অপনোদিত হল।[২] ভগৱন্ত শ্ৰীকৃষ্ণই পৃথিবীৰ মানৱ, স্বৰ্গৰ দেৱতা, নিজৰ আশ্ৰিত যাদৱবৰ্গক আনন্দিত কৰি বিহাৰ কৰিছিল ; ব্ৰজৰ গোপিনীবৰ্গে জোনাক ৰাতি শ্ৰীকৃষ্ণৰ লগত বিহাৰ কৰি অতৃপ্ত তৃপ্তি লাভ কৰিছিল ; কিন্তু লীলাময় শ্ৰীকৃষ্ণই গোপিনীৰ প্ৰেমত বশীভূত নহৈ, কন্দুকৰ দৰে মাথোন সৌহাৰ্দ্য বিকাশ কৰিছিল।[৩]

ধৰ্মৰাজ্য সংস্থাপিত কৰি, হস্তিনাপুৰত সমগ্ৰ ভাৰতৰ ৰাজধানী পাতি, ধৰ্ম-যুধিষ্ঠিৰক ভাৰতৰ একছত্ৰী সাৰ্ব্বভৌম ভূপতিৰ সিংহাসনত থিতাপি কৰি আহি, আদৰ্শ মহামানৱ ভগৱান শ্ৰীকৃষ্ণই ভাৰতৰ পছিম প্ৰান্ত দ্বাৰকাত একাগ্ৰচিত্ত হৈ, আত্মকৃত কাৰ্য্যৰ স্মৃতি-সমালোচনামূলক মহাযোগত[৪] মগ্ন হল। সেই যোগত, সেই কৰ্মত কেশৱৰ অপাৰ আনন্দ। সেই আনন্দ উপভোগ কৰি, মাধৱ শ্ৰীকৃষ্ণ পৰমানন্দ। সেইৰূপে পৰমানন্দ হৈ কৃষ্ণ-গোবিন্দই বহুদিন কটালে। সেই স্মৃতিত পুলকিত হৈ, দৈৱকীৰ অষ্টম গৰ্ভ-জাত বাসুদেৱে ভালেমান দিন নিয়ালে। বাল্য সুমৰণত নন্দনন্দন গোপাল কৃষ্ণই যশোদা 'আই'ৰ অঙ্ক শোভা কৰে ; যৌৱন সুমৰণত কংস-চাণুৰমৰ্দ্দন মধুসূদন জনাৰ্দ্দন বীৰমদত উদ্দীপ্ত হয় ; প্ৰৌঢ় সুমৰণত হৰি-হৰ ৰণজয়ী, কুৰুক্ষেত্ৰ-ধৰ্মযুদ্ধৰ নেতা অসাধাৰণ ৰণপণ্ডিত, অদ্বিতীয় ৰাজনৈতিক মহাপুৰুষ, সৰ্ব্বশাস্ত্ৰবিশাৰদ আদৰ্শ ধৰ্মগুৰু গীতাস্ৰষ্টা ভগৱন্ত শ্ৰীকৃষ্ণই স্বৰ্গ-মৰ্ত্ত্যক একাকাৰ কৰে। এইদৰে সুখ সৌৰৱণীৰ দুৰ্ব্বীণেৰে, সুপ্ৰতিষ্ঠিত সাগৰৰক্ষিত দ্বাৰকা নগৰীৰপৰা একান্তচিত্তেৰে, স্বসংস্থাপিত সমগ্ৰ ভাৰতৰ ধৰ্মৰাজ্যলৈ চাই চাই অপাৰ আনন্দত ওপঙি আপোন-পাহৰা হৈ, মুকুট-নিপিন্ধা ৰজা দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণই বহুকাল কটালে।

সকলোৰে মাজত ৰাম আৰু কৃষ্ণ ছা আৰু গা যেন। এজনৰ মতি-গতি আনজনত অতৰ্কিত ভাৱে বিকশিত হয়। কৃষ্ণৰ ভাৱত ৰাম সততে তন্ময়। গতিকে, কৃষ্ণ সমাধিস্থ হোৱাত, ৰাম স্বভাৱতে যোগাৰূঢ় হল। দুইৰো মনত একেটা ভাব সমভাৱে উদ্দীপ্ত হৈ উঠিল ; দুয়ো ধৰ্মৰাজ্য সংস্থাপন সংপূৰণ কৰিবৰ অৰ্থে চিন্তালোচনাত ধৰিলে। ভীষ্ম-দ্ৰোণ আৰু ভীম-অৰ্জ্জুনৰ সংঘৰ্ষণত অষ্টাদশ অক্ষৌহিণী সেনা ধ্বংস হোৱাত, দুয়ো একমত হৈ দেখিলে যে, বাহ্যিক দৃষ্টিত ধৰ্মৰাজ্য নিয়াৰিকৈ সংস্থাপিত হৈছে হয়, কিন্তু সিহঁতৰ নিজৰ ভিতৰতে অধৰ্মৰ প্ৰাদুৰ্ভাৱ ক্ৰমাৎ চৰিবলৈ হে ধৰিছে![৫] গতিকে, ইয়াৰ কি প্ৰতিকাৰ কৰা উচিত, সেইবিষয়ে সিহঁতক দুয়ো নিৰলে গুণিবলৈ ধৰিলে ; মাজে মাজে সেই উদ্দেশ্যে দুয়ো উদাৰ আৰু উদাস ভাৱে আত্মীয়-কুটুম্বাদিৰ বিনাশন কামনা কৰা হল।[৬] তাৰ

---

(১) এই সিদ্ধান্ত মন্তব্যৰ বিষয়ে ওপৰত কেইবাটাও প্ৰসঙ্গত উলুকিয়াই অহা হৈছে।

(২) শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, তৃতীয় আধ্যা, ১২শ শ্লোক।

(৩) শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, তৃতীয় আধ্যা, ২১ শ্লোক।

(৪) ই সন্ন্যাসীৰ তপস্যা যোগ নহয়, সাংসাৰিক কৰ্মযোগ হে। নিষ্কাম কৰ্মযোগেই শ্ৰীকৃষ্ণৰ আদৰ্শ যোগ।

(৫) কিয়ান্ ভুবোঽয়ং ক্ষপিতোৰুভাৰো যদ্দ্ৰোণ-
ভীষ্মাৰ্জ্জুন-ভীমমূলৈঃ।
অষ্টাদশাক্ষৌহিণিকো মদংশৈৰাস্তে বলং
দুৰ্বিষহং যদূনাং॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, তৃতীয় আধ্যা, ১৪ শ্লোক।

(৬) মিথো যদৈষাং ভবিতা বিবাদো মধ্বা
মদা তাম্ৰবিলোচনানাং।
নৈষাং বধোপায় ইয়ানতোঽন্যো
ময্যুদ্যতেঽন্তৰ্দ্ধধতে স্বয়ং স্ম॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, তৃতীয় আধ্যা, ১৫ শ্লোক।

পাচত, মানৱ-লীলানুকাৰী ৰামকৃষ্ণৰ অন্তৰত গাৰ্হস্থ্য বিষয়-সম্ভোগত বৈৰাগ্য উদয় হল।[১]

আনহাতে, যদুবংশৰ ভিন্ ভিন্ ফৈদৰ মাজত পৰস্পৰৰ প্ৰতি বিদ্বেষভাব ক্ৰমাৎ প্ৰবল হৈ উঠিল। সিবিলাকৰ মাজত লগতে আত্ম-কন্দল মূৰুচা হল। ইজনৰ প্ৰতিপত্তিলৈ সিজনে ঈৰ্ষাভাৱে চাবলৈ ধৰিলে। ইখেলে সিখেলক তল পেলাই উধাবলৈ ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে। প্ৰত্যেক খেলেই মইমতীয়া ভাৱত উধাও হৈ কাকো-কোনেও গণিতা নকৰা হল। ৰাম-কৃষ্ণত বাজে সেই দুৰ্দম খেল-বিলাকক দমাওঁতা নোহোৱা হল। তদুপৰি, যাদৱ কোৱঁৰবিলাক দুৰ্যোৰ মদপী হৈ উঠিল, সিবিলাকে অপৰিমিতকৈ মদিৰা পান কৰি প্ৰজাবৰ্গক অত্যাচাৰ কৰিবলৈ ধৰিলে। আন কি, সেই অনাচাৰিতা ইমান অতিপাত আৰু অসহনীয় হৈ উঠিল যে, শেহস্থিত মদিৰা স্পৰ্শ কৰোঁতাৰ প্ৰাণদণ্ড হোৱা বিধানেৰে কঠিন আইন জাৰি কৰিব লগীয়া হয়।[২]

আচল উদ্দেশ্য কি, কেৱে কৰ নোৱাৰে, কিন্তু যাদৱ-শ্ৰেষ্ঠ শ্ৰীকৃষ্ণদেৱে প্ৰস্তাৱ কৰিলে যে, ব্ৰহ্মশাপ মোচনাৰ্থে[৩] যাদৱবৰ্গে কেইদিনমান প্ৰভাসতীৰ্থত এটা জাতীয় যজ্ঞানুষ্ঠান স্নান-ভোজন আদিৰে সৈতে আনন্দ-উৎসৱ কৰিবগৈ লাগে আৰু সেই যাত্ৰাত মাথোন চেমনীয়া, ডেকা আৰু আদহীয়া পুৰুষ হে যাব লাগে; ল'ৰা, তিৰোতা আৰু বুঢ়াসকল যোৱাৰ প্ৰয়োজন নাই। প্ৰস্তাৱ সাদৰে গৃহীত হল। বিশেষকৈ, ডেকা আৰু আদহীয়া দল উৎফুল্লিত হৈ ওলাল। সিবিলাকে প্ৰস্তাৱিত আনন্দ-ভোজৰ অনুপানাৰ্থে শ-শ কলহ মদিৰা মহোল্লাহেৰে মানুহতকৈ আগধৰি পঠিয়াই যথাস্থানত যুগুত কৰালে। তাৰ পাচত, শ্ৰীকৃষ্ণদেৱৰ অনুগামী হৈ বৃষ্ণি, ভোজ প্ৰমুখ্যে সদৌ যাদৱ ফৈদৰ উদ্ধত স্বভাৱৰ কোৱঁৰবিলাকে প্ৰভাস-তীৰ্থলৈ মহা আড়ম্বৰেৰে যাত্ৰা কৰিলে। সেই যাত্ৰাত যাদৱনেতা শ্ৰীকৃষ্ণৰ পুত্ৰ[৪], নাতি আৰু পৰিনাতি প্ৰমুখ্যে বৃষ্ণিফৈদৰ কোৱঁৰৰ সংখ্যা আঠাইতকৈ অধিক গৈছিল।

---

(১) ততস্তৈবং ৰমমাণস্য সম্বৎসৰগণান বহুন।
গৃহমেধেষু যোগেষু বিৰাগঃ সমজায়ত॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, তৃতীয় আধ্যা, ২২ শ্লোক।

(২) মহাভাৰত, মুষলপৰ্ব্ব, ১ম আধ্যা।

(৩) পুৰ্য্যাং কদাচিৎ ক্ৰীড়দ্ভিৰ্যদুভোজ কুমাৰকৈঃ।
কোপিতা মুনয়ঃ শেপুৰ্ভগবন্মতকোবিদাঃ॥
ততঃ কতিপয়ৈৰ্মাসৈৰ্বৃষ্ণিভোজান্ধকাদয়ঃ।
যযুঃপ্ৰভাসং সংহৃষ্টাৰথৈদে ৰবিমোহিতাঃ॥
—শ্ৰীমদ্ভাগৱত তৃতীয় স্কন্ধ, ৩য় আধ্যা, ২৪ শ্লোক।

—অৰ্থাৎ, ভগৱান ৰাম-কৃষ্ণৰ অন্তৰত যি ক্ষণত বৈৰাগ্যভাৱ উদয় হোৱাত যদুকুল সংহৰণৰ ইচ্ছা প্ৰবল হৈ উঠে, সেইক্ষণত যদুবংশীয় বৃষ্ণি আৰু ভোজ ফৈদীয়া কুমাৰগণে লাঞ্ছনা, প্ৰবঞ্চনা, ইতিকিং আদি কৰি ব্ৰাহ্মণ ঋষিসকলৰ কোপানল প্ৰজ্বলিত কৰে; সেই আপাহতে ঋষিসকলে ভগৱানৰ অভিপ্ৰায় উপলব্ধি কৰি 'যদুবংশ ধ্বংস হওক' বুলি অভিশাপ প্ৰদান কৰে। তাৰ পাচত, অনতি-পলমে ব্ৰহ্মশাপ ফলিওৱাৰ নিদৰ্শন স্বৰূপ দ্বাৰকাপুৰীত বিবিধ অৰিষ্ট দৰ্শন হবলৈ ধৰিলে। ইতিছেগতে, শ্ৰীকৃষ্ণৰ প্ৰস্তাৱত মোহিত বৃষ্ণি, ভোজ, অন্ধক ফৈদ প্ৰমুখ্যে যদু-বংশৰ ডেকা আৰু আদহীয়া কুমাৰগণে অৱিষ্টৰ শান্তি কামনা উপলক্ষে উৎফুল্লিত হৈ প্ৰভাস-তীৰ্থলৈ যাত্ৰা কৰিলে।

(৪) শ্ৰীকৃষ্ণৰ আঠ গৰাকী ভাৰ্য্যাৰ প্ৰত্যেকৰগৰা দহজনকৈ চাৰিকুৰি পুত্ৰ লাভ হৈছিল; যেনে—
তাস্বপত্যান্যজনয়দাত্মতুল্যানি সৰ্ব্বতঃ।
একৈকস্যাং দশ দশ প্ৰকৃতেৰ্বিবুভূষয়া॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, তৃতীয় আধ্যা, ৯ম শ্লোক।

(ক) ৰুক্মিণীৰ গৰ্ভজাত পুত্ৰ—কামদেৱ (প্ৰদ্যুম্ন), চাৰুদেষ্ণ, ভদ্ৰচাৰু, চাৰু, চাৰুচন্দ্ৰ, সুদেষ্ণ, সুচাৰু, চাৰুদেহ, চাৰুগুপ্ত আৰু বিচাৰু।

(খ) সত্যভামাৰ গৰ্ভজাত পুত্ৰ—সুভানু, স্বৰ্ভানু, ভানু, চন্দ্ৰভানু, প্ৰভানু, বিভানু, বৃহদ্ভানু, প্ৰতিভানু, অতিভানু আৰু ভানুমান।

(গ) জাম্ববতীৰ গৰ্ভজাত পুত্ৰ—শ্ৰীশাম্ব, সুমিত্ৰ, সত্ৰাজিত, চিত্ৰকেতু, বিজয়, পুৰজিত, ক্ৰতু, সহস্ৰজিত, বসুমান আৰু দ্ৰবিণ।

(ঘ) নগ্নজিতাৰ গৰ্ভজাত পুত্ৰ—বীৰচন্দ্ৰ, অশ্বসেন, বৃষ, বেগৱান, আম, শঙ্কু, বসু, কুন্তি, চিত্ৰগু আৰু আধ্যান।

(ঙ) কালিন্দীৰ গৰ্ভজাত পুত্ৰ—শ্ৰুত, কবি, বৃষ, বীৰ, সুবাহু, ভদ্ৰ, শান্তি, দৰ্শ, পূৰ্ণমনা আৰু শ্ৰীসোমক।

প্ৰভাস-তীৰ্থত যাদৱবৰ্গৰ এখন মহামেলা আৰম্ভ হল। চেমনীয়া আৰু ডেকাসকলে প্ৰভাস-সলিলত সাঁতুৰি-নাদুৰি বিবিধ জলক্ৰীড়া কৰিবলৈ ধৰিলে। প্ৰৌঢ়বৰ্গ বিবিধ বিধানৰ বীৰোচিত ৰং-ধেমালি, আমোদ-প্ৰমোদত মগ্ন হল। আনন্দভোজৰ আয়োজন কৰোঁতাসকল পৰম উলাহেৰে লাগতিয়াল দিহাকৰণত প্ৰবৃত্ত হল। সমবেত যাদৱ-মণ্ডলীৰ উলাহ-আনন্দৰ পাৰ নোহোৱা হল। প্ৰভাসযাত্ৰী সকলোৱেই আপোন-পাহৰা হৈ আনন্দত উৰুলীকৃত; মাথোন ৰাম-কৃষ্ণ সেই আনন্দ-উৎসৱত নিৰ্লিপ্তভাৱে স্থিৰ, ধীৰ, চিন্তাযুত; দুয়ো একাষৰীয়াকৈ লগ লাগি নিৰলে কি গুণিছে, কি পাতিছে, কি কোৱা-মেলা কৰিছে, আনে তাৰ সম্ভেদ্ পোৱা নাই;—বৰুপত, সিবিলাক দুজনলৈ মন কৰিবলৈ, সিবিলাকৰ মতি-গতিৰ প্ৰতি লক্ষ্য কৰিবলৈ আনন্দবিহ্বল আনবিলাক যাদৱবৃন্দৰ অৱকাশ নাই।

তাৰ পাচত, মহানন্দৰ ঢৌ ক্ষন্তেকলৈ মাৰ নিয়াই প্ৰভাসৰ পুণ্য সলিলত যথাবিধি স্নান-আহ্নিক আৰু নিত্য-নৈমিত্তিক ক্ৰিয়া সমাপণ কৰি উঠি, সুপ্ৰশস্ত প্ৰভাস-তীৰত মণ্ডলাকাৰ হৈ সমবেত যাদৱবৃন্দ আনন্দভোজত বহিল। বিবিধ ৰুচিৰ বিবিধ আহাৰাদি পৰম তৃপ্তিৰে ভোজন কৰা হল। তাৰ পাচত, বাৰুণী মদিৰা কলহে-কলহে বাকি তিতালাওৰ গুকাম কোৱোকাৰে সৈতে সবাৰে আগে আগে মদিৰাপাত্ৰত দিয়া হল। কোনো কোনো হতাহীয়ে, সৰু পাত্ৰত তৃপ্তি নাপাই, লাওৰে-লাওৰে হাতে-হাতে একোলাও লাওপানী[১] লৈ ঢেঁপাহ পলুৱাই পিবলৈ ধৰিলে। সেই দৰে বিস্তৰ ভোজন আৰু অপৰিমিত পানৰ অন্তত আটাইবিলাক ক্ৰমাৎ মদিৰাৰ ৰাগীত টলিবলৈ ধৰিলে; মাথোন ৰাম-কৃষ্ণ অটল অচল ধীৰ স্থিৰ আৰু চিন্তাযুত হৈ একাষৰীয়াকৈ বল। তাৰ পাচত, বাৰুণী মদিৰা পানৰ অপৰিহাৰ্য্য ফল ফলিয়াবলৈ ধৰিলে। ৰাগীৰ জালত জ্ঞান-বুদ্ধি-চেতনা হেৰুৱাই মণ্ডলীয়া যাদৱগণে পৰস্পৰ বিবাদ বাদ্ধি লৈ মৰামৰি-কটাকটি কৰিবলৈ ধৰিলে।[২] সাত্যকি, প্ৰদ্যুম্ন, কৃতবৰ্ম্মা, অনিৰুদ্ধ প্ৰমুখ্যে অন্যান্য বিবিধ কৈৰৱ যাদৱবৃন্দৰ মাজত তুমুল সংগ্ৰাম লাগি উঠিল, —সৰ্বোশেষত ৰাম, কৃষ্ণ, দাৰুক আৰু ব্ৰজ[৩] এই চাৰিত বাজে সমবেত

(চ) মাদ্ৰীৰ গৰ্ভজাত পুত্ৰ—প্ৰঘোষ, ওজস, সিংহ, উৰ্দ্ধগ, প্ৰবল, গাত্ৰবান, মহাশক্তি, সহ, অপৰাজিত আৰু বল।

(ছ) মিত্ৰবিন্দাৰ গৰ্ভজাত পুত্ৰ—বৃষ, হৰ্ষ, গৃধ্ৰ, বহ্নি, অনিল, পৱন, বহ্বম, অন্নাদ, ক্ষুধি আৰু মহাংশ।

(জ) ভদ্ৰাৰ গৰ্ভজাত পুত্ৰ—বৃহৎসেন, প্ৰহৰণ, শূৰ, আবিজিত, সুভদ্ৰ, সত্যক, ৰাম, শ্ৰীসংগ্ৰামজিৎ, আয়ু আৰু জয়।

(১) 'লাওপানী' আধুনিক অসমৰ অসভ্য অনাৰ্য্য জাতিৰ সৃষ্ট পদাৰ্থ নহয়; ই পৌৰাণিক যুগৰো পূৰ্ব্বৰ সুসভ্য আৰ্য্য জাতিৰ সৃষ্ট পদাৰ্থ হে—

অথ তে তদনুজ্ঞাতা ভুক্ত্বা পীত্বাচ বাৰুণীং।
তয়াবিভ্ৰংশিতজ্ঞানা দুৰুক্তৈৰ্মৰ্মপস্পৃশঃ।
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, চতুৰ্থ অধ্যায়, ১ম শ্লোক।

(২) সোন্‌প্ৰথমেই শ্ৰীকৃষ্ণৰ অগ্ৰগণ্য প্ৰিয়শিষ্য মহাজ্ঞানী মহাৰথ সাত্যকিয়ে কন্দল পাতি লয়। তেওঁ সোনেই কৃতবৰ্ম্মাক মৌখিক আক্ৰমণ কৰে। কুৰুক্ষেত্ৰ-ৰণ সামৰণৰ নিচ-ৰাতি তেওঁ অশ্বত্থামা আৰু কৃপাচাৰ্য্যৰে সৈতে লগ লাগি চোৰ-বৃত্তিৰে পাণ্ডৱ শিবিৰত প্ৰৱেশ কৰি দ্ৰৌপদীৰ পাঁচ পুত্ৰ আৰু পাঞ্চাল কোঁৱৰ ধৃষ্টদ্যুম্নক নীচভাৱে বধ কৰাৰ বাবে তেওঁক সাত্যকিয়ে কৰ্কৰ্থনা কৰিবলৈ ধৰে। সেই কন্দলত প্ৰদ্যুম্ন কোঁৱৰ সাত্যকিৰ ফলীয়া হয়। শেহান্তত, কন্দল পকি উঠিলত, যেতিয়া সাত্যকিয়ে কৃতবৰ্ম্মাক বধ কৰে, তেতিয়া কৃতবৰ্ম্মাৰ ফলীয়া আনবিলাকে লগ লাগি সাত্যকি আৰু প্ৰদ্যুম্নক বধ কৰে। পিতৃ প্ৰদ্যুম্নক বধ কৰা দেখি পুত্ৰ অনিৰুদ্ধ কোঁৱৰে জ্বলন্ত চিতাত জঁাপ দিয়াৰ দৰে, সেই কন্দলৰ মাজত সোমাই পিতৃবৈৰী দলক বিনাশ কৰি আত্মবলি দিলে। তাৰ পাচত, ৰাগীৰ জালত দলাদলি ঘটি বাকীবিলাকৰ মাজতো মৰামৰি হবলৈ ধৰিলে। ইত্যাদিকৈ যাদৱবৰ্গৰ মাজত তুমুল সংগ্ৰাম লাগি গল।

(৩) ব্ৰজ কোঁৱৰ শ্ৰীকৃষ্ণৰ পৰিনাতি; তেওঁ প্ৰদ্যুম্ননন্দন অনিৰুদ্ধৰ ঔৰসত শোণিতপুৰৰ (আধুনিক অসমৰ তেজ-পুৰৰ) জীয়াৰী উষাদেৱীৰ গৰ্ভজাত পুত্ৰ। যদুবংশ ধ্বংসৰ পাচত, ব্ৰজ কোঁৱৰেই শেহতীয়া যদুবংশধৰ বৰ্ত্তে। প্ৰপিতামহী ৰুক্মিণীদেৱীৰ সম্বন্ধসূত্ৰে ব্ৰজ কোঁৱৰৰ জাতিগুৰি বিদৰ্ভ নগৰত বা অসমদেশৰ শদিয়াত ওলায়হি।

সমূদায় যাদৱবৃন্দ, বেণুবৃক্ষ[১] পৰস্পৰ সংঘৰ্ষণোত্থিত বহ্নিত ভস্ম হোৱাৰ দৰে, আত্মকলহৰ ফলত নিধন হ'ল![২]—ইচ্ছাময় বাসুদেৱৰ গুহ্যতম অভিপ্ৰায় অনুসৰি যদুবংশ ধ্বংস হ'ল!

প্ৰভাস-তীৰ্থত যদুবংশৰ অনাচাৰী আৰু অধৰমী ডেকা, চেমনীয়া আৰু আদহীয়া দল হে ধ্বংস হ'ল; দ্বাৰকাত ধৰ্ম্মপ্ৰাণ বৃদ্ধ যাদৱবৰ্গ আৰু শিশু লৰা-ছোৱালী সমন্বিতে সদাচাৰিণী নাৰীগণ নিৰ্ব্বিঘ্নে ৰৈ গল। গতিকে, সিবিলাকক ক'ত কি ব্যৱস্থাৰে নিৰাপদকৈ থিতাপি কৰি থৈ যোৱা হব, সেই বিষয়ে ৰাম-কৃষ্ণ বাসুদেৱদ্বয়ে নিজস্কলীয়াকৈ চিন্তালোচনা কৰিবলৈ ধৰিলে। ইতি ছেগতে, যদুবংশৰ একেটি মাথোন সুমলীয়া বংশধৰ বজ্ৰ কোৰঁৰক পৃথিবীত আদৰ্শ মানৱকৈ থৈ যোৱাৰ অভিপ্ৰায়ে সৰ্ব্বশাস্ত্ৰবিশাৰদ ধৰ্ম্মাত্মা শ্ৰীকৃষ্ণদেৱে তেওঁক চমুকৈ সাংসাৰিক, সামাজিক, ৰাজনৈতিক আৰু আধ্যাত্মিক বিষয়ক তত্ত্ব-জ্ঞান দান কৰিলে।

দ্বিচত্বাৰিংশ আধ্যা

(ৰাম-কৃষ্ণৰ মহাপ্ৰয়াণ)

শ্ৰীকৃষ্ণ-লীলাৰ সামৰণ

যদুবংশ ধ্বংসৰ পাচত, ঠেকমুত যদুবংশৰ শেহতীয়া একেটি বংশধৰ উষানন্দন বজ্ৰ কোৰঁৰক নিৰাপদকৈ ৰাখি যাবৰ উদ্দেশ্যে, শ্ৰীকৃষ্ণই তেওঁৰ সাৰথি দাৰুকক এই বুলি অনুজ্ঞা-উপদেশ দিলে, "দাৰুক! অনতিপলমে দ্বাৰকা নগৰী আৰু যদুবংশ সমূলক্ষে ধ্বংস হব![২] মোৰ পৰিনাতি বজ্ৰ কোৰঁৰ মাথোন আদিকা বংশধৰ থাকিবগৈ। এওঁৱেই যদুবংশৰ সুমলীয়া বংশধৰ। পৃথিবীত মোৰ বংশ ৰক্ষাৰ হেতুকে এই সদৌশেহতীয়া কোৰঁৰক নিৰাপদকৈ ঘাতবাই ৰাখি যোৱাই মোৰ শেষ কৰ্ত্তব্য। মই আজিৰপৰা সপ্ত-অহোৰাত্ৰৰ মধ্যতে ইহলীলা সংবৰণ কৰিম। তুমি ইতিমধ্যত মোৰ ৰথত তুলি, উষানন্দন অনিৰুদ্ধতনয় বজ্ৰ কোৰঁৰক মোৰ পৈতৃক ৰাজ্য মথুৰালৈ নি, মধুপুৰত থিতাপিকৈ থোৱাগৈ। তাৰ পাচত, তুমি হস্তিনাপুৰলৈ গৈ, ধৰ্ম্মৰাজ যুধিষ্ঠিৰ প্ৰমুখ্যে মোৰ পৰম বান্ধৱ পাণ্ডৱসকলক যদুবংশধ্বংসৰ বাতৰি দিবা। সেই ছেগতে, মোৰ পৰমভক্ত সুভদ্ৰাপতি প্ৰাণসখি অৰ্জ্জুনক মোৰ এই অনুৰোধ জ্ঞাপন কৰিবাগৈ, তেওঁ যেন আজিৰপৰা সাতদিনৰ মূৰত দ্বাৰকালৈ আগমন কৰি, ল'ৰা-তিৰোতাদি সমন্বিতে বৃদ্ধ যাদৱবৰ্গক অনতিপলমে মথুৰালৈ পাৰ কৰি নি, মধুপুৰত বজ্ৰ কোৰঁৰৰ লগত থিতাপিকৈ ৰাখেগৈ। যোৱাঁ, পলম নকৰিবা; মোৰ তনুত্যাগৰ আগতে পোনাকৈ ঘূৰি আহি তুমি মোক শেষ-দেখা দিবাহি।"

যদুবংশধ্বংস দৃশ্য সুমৰি চাই, এটি দীঘল হুমুনিয়া পেলাই, গভীৰ ভাবগ্ৰাহী অগ্ৰজ বলৰামে প্ৰাণপ্ৰতিম অনুজ শ্ৰীকৃষ্ণক গাঢ় আলিঙ্গন দি, তেওঁৰপৰা এই বুলি শেষবিদায় ললে, "হে মোৰ জীৱনলগৰীয়া প্ৰাণাধিক অনুজ কৃষ্ণ! আজি মোক শেষ বিদায় দিয়া। আজিৰপৰা তোমাৰে-মোৰে মাজত পাৰ্থিব বিচ্ছেদ ঘটিব। মই এতিয়া মুক্তি তপস্যাত বহোঁগৈ। আজিৰপৰা তিনি অহোৰাত্ৰৰ ভিতৰত এই পুণ্যভূমি প্ৰভাস তীৰ্থত মই তনুত্যাগ কৰিম।" এই বুলি দিবা হাঁহি মাৰি বিদায় লৈ মহাতনু

---

(১) তত্ৰাথ শুশ্ৰাব সুহৃদ্বিনষ্টিং বনংযথা
বেণুজবহ্নিসংশ্ৰয়ং।
সংস্পৰ্দ্ধয়া দগ্ধমথানুশোচন্ সৰস্বতীং
প্ৰত্যাগিয়ায় তুষ্ণীং॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ১ম আধ্যা, ২০ শ্লোক।
তেষাং মৈৰেয়দোষেণ বিষমীকৃতচেতসাং।
নিম্ৰোচতি ৰবাবাসীদ্বেণুনামিব মৰ্দ্দনং॥
—শ্ৰীমদ্ভাগৱত, ৩য় স্কন্ধ, ৪ৰ্থ আধ্যা, ২য় শ্লোক।

(২) স্বপ্ৰতিষ্ঠিত 'দ্বাৰকা নগৰী' অধৰ্ম্মাচৰণৰূপ পাপৰপৰা উদ্ধাৰিত হৈ, যাতে স্যমন্তকমণি প্ৰসৱিনী পুণ্যভূমি ঢৌৱাই যোৱা পঞ্চনদৰ সাগৰ সঙ্গমৰ পুণ্য সলিলত চিৰকালৰ কাৰণে অৱগাহিত হয়, সেইটো তেতিয়াই দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণৰ কল্পিত কামনা আছিল; তাৰ ফলস্বৰূপ, এতিয়া সেই 'দ্বাৰকানগৰী' সাগৰৰ গৰ্ভত—পৃথিবীৰ ওপৰত নাই।

বলৰাম যোগাসনত বহিলগৈ। অগ্ৰজলৈ চাই "ভাল, ময়ো আহোঁগৈ" এই বুলি শ্ৰীকৃষ্ণদেৱে দ্বাৰাৱতীমুখে চিন্তাযুক্ত হৈ গতি কৰিলে।

দ্বাৰকাৰ সিংহদ্বাৰ দ্বাৰকেশ্বৰ প্ৰৱেশৰ অৰ্থে শেষবাৰৰ নিমিত্তে উন্মুক্ত হল; ভাৱভাৰী শ্ৰীকৃষ্ণ গহীন গতিৰে দ্বাৰাৱতীৰ ভিতৰ সোমাল। তেওঁ পোনেই এবাৰ চৌপাশে প্ৰদক্ষিণ কৰি লৈ, ধীৰে ধীৰে অন্তঃপুৰত প্ৰৱেশ কৰিলেগৈ। তাৰ পাচত, বৃদ্ধা, যুৱতী আৰু কুমাৰী যাদৱীসকলক সমবেত কৰি লৈ, যদুনাথ শ্ৰীকৃষ্ণই দিব্য বুজনিৰে সৈতে সিবিলাকৰপৰা ইহ-জীৱনৰ শেষ-বিদায় ললে।

অন্তঃপুৰৰপৰা বিদায় লৈ ওলাই, দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণ দ্বাৰকাৰ ৰাজচ'ৰাত উপস্থিত হলহি। চ'ৰাত সন্তপ্ত চিত্তেৰে অপেক্ষা কৰি সমবেত হোৱা বৃদ্ধ যাদৱমণ্ডলীৰ ওচৰত দিব্য সমালোচনাৰে সৈতে আত্ম-জীৱনলীলাৰ আৰম্ভণ, প্ৰসাৰণ আৰু সামৰণ বিষয়ক ঐহিক আৰু পাৰত্ৰিক তত্ত্ব, ব্যাখ্যা কৰি, যদুমণি শ্ৰীকৃষ্ণই প্ৰফুল্ল অন্তৰেৰে ইহকালৰ শেষ-বিদায় গ্ৰহণ কৰিলে। দ্বাৰকেশ্বৰ ভগৱন্ত শ্ৰীকৃষ্ণক বিদায় দি, মৰ্ত্যৰ অমৰাৱতী দ্বাৰাৱতী বিষাদত অৱনতী হল!

তিনি-অহোৰাত্ৰৰ অন্তকালত, শ্ৰীকৃষ্ণ উলটি প্ৰভাস-তীৰ্থত উপনীত হলহি। অনুজ শ্ৰীকৃষ্ণ আহি পাওঁতেই অগ্ৰজ ৰামৰ মুক্তিযোগ সমাপণ হোৱাত, সেইক্ষণতে তেওঁ ইচ্ছাপ্ৰয়াণ কৰিলে। তাৰ পাচত, সৰস্বতী নৈৰ পাৰত,[১] এজুপি কোমল কুঁহিপতীয়া আঁহত গছৰ গাত আউজি, পদ্মাসন পাতি, শ্ৰীকৃষ্ণ স্বয়ং মুক্তি-যোগাসনত বহিল। ভগৱন্ত শ্ৰীকৃষ্ণৰ বিশুদ্ধ সত্ত্বৰূপ শ্যাম কলেৱৰ আৰু নিমিলিত আয়তলোচনে জগত উদ্ভাসিত কৰিলে।[২] ইতি-ক্ষণতে সাৰথি দাৰুকে, উলটি আহি, মথুৰা আৰু হস্তিনা-পুৰৰ শুভ বাতৰি শুনালেহি। শুনি শুনি ভগৱন্ত শ্ৰীকৃষ্ণই অতৃপ্ত সুখ অনুভৱ কৰি, বিশুদ্ধ সত্ত্বৰূপ অনিন্দিত শ্যাম কলেৱৰৰ[৩] সুঠাম বাম উৰুৰ ওপৰত সুকোমল দক্ষিণ চৰণ-কমল বিন্যস্ত কৰি, পাৰ্থিৱ জীৱন-লীলা সামৰণৰ সমাধি আৰম্ভ কৰিলে। ইতিছেগতে মহৰ্ষি বেদব্যাসৰ সুহৃদ আৰু সখি পৰাশৰ মুনিৰ শিষ্য যোগসিদ্ধ মৈত্ৰেৰ মুনিয়ে সৈতে

(১) অদ্ৰাক্ষমেকমাসীনং বিচিন্বন দয়িতং পতিং।
শ্ৰীনিকেতং সৰস্বত্যাং কৃতকেতমকেতনং॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ আধ্যা,
৬ষ্ঠ শ্লোক।

(২) শ্যামাৱদাতং বিৰজং প্ৰশান্তাৰুণলোচনং।
দোৰ্ভিশ্চতুৰ্ভিৰ্ব্বিদিতং পীতকৌশাম্বৰেণ চ॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ আধ্যা, ৭ম শ্লোক।

(ক) এয়ে ইচ্ছাকৃত মহাপ্ৰয়াণৰ আদৰ্শ।

(খ) কোনো-কোনোৰ কল্পনামতে, যদুবংশধ্বংসৰ পাচত, বৈৰাগ্য উপস্থিত হোৱাত, শ্ৰীকৃষ্ণই হাবিয়ে-বননিয়ে উদাস ভাৱত বিহাৰ কৰি ফুৰি এখন বৰ হাবিৰ মাজত বিভোল হৈ বহি থাকোঁতে, জৰা নামৰ এটা ব্যাধে তাতে তেওঁক মৃগ বুলি ভাবি শৰবিদ্ধ কৰি বধ কৰে।

(গ) কোনো-কোনো টীকাকাৰৰ মতে, জৰা ব্যাধ নহয়, জৰা ব্যাধি হে। শতাধিক বছৰ দীৰ্ঘায়ু ভোগ কৰি, আধৰ-আলৰ বুঢ়াকালত জৰাগ্ৰস্ত হৈ শ্ৰীকৃষ্ণ পঞ্চত্ব প্ৰাপ্ত হয়।

(ঘ) কিন্তু, আমাৰ মত শ্ৰীমদ্ভাগৱতৰ তৃতীয় স্কন্ধৰ ৪ৰ্থ আধ্যাৰ ৬ষ্ঠ শ্লোকৰ লগত হে মিলে। ভগৱন্ত শ্ৰীকৃষ্ণক জৰা ব্যাধেও বিন্ধিব পৰা নাই, জৰা ব্যাধিয়েও প্ৰকৃতে পাব পৰা নাই;—'কৃষ্ণস্তু স্বয়ং ভগৱান"; মানৱ ব্যাধৰ শৰ-সন্ধানৰ অতীত, আৰু স্বাস্থ্যৰ মূৰ্ত্তিমান্ পুৰুষ বাসুদেৱ দ্বাপৰ যুগৰ ১২৬ বছৰীয়া বয়সত (যেতিয়া তেওঁৰ পিতৃ বাসুদেৱে ১৬৬ আৰু ভীষ্মদেৱে ১৫৭ বছৰীয়া মানৱ জীৱন ধাৰণ কৰিছিল) জৰাৰোগগ্ৰস্ত হোৱাটো পতিয়াবলৈ টান।

(ঙ) ভগৱন্ত শ্ৰীকৃষ্ণৰ ইচ্ছাকৃত তনুত্যাগ অমানুষিক ব্যাপাৰ। ইচ্ছাপূৰ্ব্বক উশাহ-নিশাহ বন্ধ কৰি আত্মতত্ত্ব-জ্ঞানত তন্ময় হৈ সজ্ঞানে আৰু সুস্থচিত্তে দৈৱকীনন্দন বাসুদেৱে পাৰ্থিৱ তনু ত্যাগ কৰি বৈকুণ্ঠ প্ৰয়াণ কৰে। বিষয়াবিষ্টচিত্ত জনগণৰ পক্ষে শ্ৰীকৃষ্ণৰ তনুত্যাগ ধাৰণাতীত; সমাধিস্থ আত্মতত্ত্বজ্ঞ লোকৰ পক্ষে হে সেই ভাৱ অনুভৱ সম্ভৱপৰ।

(৩) শ্যামাৱদাতং বিৰজং প্ৰশান্তাৰুণলোচনং।
দোৰ্ভিশ্চতুৰ্ভিৰ্ব্বিদিতং পীতকৌশাম্বৰেণ চ।
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ আধ্যা, ৭ম শ্লোক।

বাসুদেৱৰ বাক্যৰ উত্তৰে শ্ৰীকৃষ্ণচৰণাম্বেষণ কৰি ফুৰি ফুৰি, সেই সমাধিস্থ অৱস্থাতে ভগৱন্ত শ্ৰীকৃষ্ণৰ চৰণ দৰ্শন লাভ কৰি চৰিতাৰ্থ জ্ঞান কৰিলে।[১] মৈত্ৰেয় মুনি ভগৱান বাসুদেৱ শ্ৰীকৃষ্ণৰ এজন একান্ত অনুৰক্ত ভক্ত পুৰুষ, গতিকে তেওঁ সমাধিস্থ শ্ৰীকৃষ্ণদেৱৰ চৰণ দৰ্শন কৰা মাত্ৰকে ভক্তি-প্ৰেমত-গদ্‌গদ্ হৈ অতি বিনীতভাৱে কাষতে উপবেশন কৰিলে।[২] এই ভক্ত-বান্ধৱদ্বয়ক সেই অৱসৰতে ভগৱন্ত শ্ৰীকৃষ্ণই মোক্ষপ্ৰাপ্তি বিষয়ক ভালেমান তত্ত্বজ্ঞান দান কৰিলে।

যদুবংশধ্বংসৰপৰা সপ্ত-অহোৰাত্ৰৰ অন্তত, পৃথিবীত ধৰ্মৰাজ্য সংস্থাপনৰ বিমল সুখ অনুভৱ কৰি, আত্মতত্ত্বজ্ঞানৰ পুনৰাবৃত্তিত ধৰি থাকোতেই, সেই সমাধিস্থ অৱস্থাতে নিস্পৃহ, বিষয়-সুখত উদাসীন আৰু পৰমানন্দস্বৰূপ[৩] ভগৱন্ত শ্ৰীকৃষ্ণই আত্ম ইচ্ছা প্ৰয়োগেৰে অলৌকিকভাৱে নৰতনু আৰু নৰবিগ্ৰহ বিসৰ্জ্জন দি, ঐশ্বৰিক জ্যোতিৰে জ্যোতিমান্ হৈ, বৈকুণ্ঠলৈ মহাপ্ৰয়াণ কৰি, পুনৰপি পৰমাত্মাত বিলীন হ'লগৈ।[৪]

অন্ত্যলীলা অন্ত

---

(১) অস্মিন মহাভাগৱতো দ্বৈপায়নসুহৃৎসখা।
লোকাননুচৰন্ সিদ্ধ আসসাদ যদৃচ্ছয়া ॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, চতুৰ্থ আধ্যা,
১ম শ্লোক।

(২) তস্যানুৰক্তস্য মুনেৰ্মুকুন্দঃ প্ৰমোদভাবানতকন্ধৰস্য।
আশৃণ্বতো মামনুৰাগহাসসমীক্ষয়া বিশ্ৰময়ন্থ বাচ ॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ আধ্যা, ১০ম শ্লোক।

(৩) কৰ্ম্মাণ্যনীহস্য ভবোহভবস্য তে
দুৰ্গাশ্ৰয়োহথাবিভয়াৎ পলায়নং।
কালাত্মনো যৎপ্ৰমদাযুতাশ্ৰমঃ স্বাত্মৰতেঃ
খিদ্যতিধীৰ্বিদামিহ ॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ আধ্যা, ১৭শ শ্লোক।

(৪) বিদুৰোহপ্যুদ্ধৱাৎ শ্ৰুত্বা কৃষ্ণস্য পৰমাত্মনঃ।
ক্ৰীড়য়োপাত্তদেহস্য কৰ্ম্মাণি শ্লাঘিতানিচ ॥
দেহন্যাসঞ্চ তস্যৈবং ধীৰাণাং ধৈৰ্য্যবৰ্দ্ধনং।
অন্যেষাং দুষ্কৰতৰং পশূনাং বিক্লবাত্মনাং ॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ আধ্যা,
৩৩ শ্লোক।

সভাপতিৰ অভিভাষণ

অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশন

শিৱসাগৰ—২৬ ডিচেম্বৰ, ১৯১৭ চন

অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়া আৰু সভ্যসকল, আৰু উপস্থিত লগৰীয়া বাইজ।

ঈশ্বৰৰ ইচ্ছাত আৰু আপোনাসকলৰ উদ্যোগত আজি এই জীৱনত এটি অপূৰ্ব্ব ছেগ মিলিছে। কিন্তু, সেইবাবে ঈশ্বৰৰ চৰণত আৰু আপোনাসকলৰ ওচৰত শলাগকে নিবেদিম নে আক্ষেপকে কৰিম, পোনেই ঠাৱৰাব নোৱাৰিছোঁ এখোন। আপোনাসকলৰ এই নিঃকিন লগৰীয়াৰ নিচেই ল'ৰাকালৰেপৰা মজলীয়া পঢ়াশালিৰ শিক্ষাৰ মাজছোৱাৰপৰা—গোটেই ছাত্ৰজীৱনত সভা-সমিতিলৈ, ওপকৰা হলেও, একান্ত ধাউতি আছিল, ছাত্ৰ-জীৱন সাঙ্গ কৰি সংসাৰত সোমোৱাৰ পাচতো এই ভাটী বয়সলৈকে তেওঁক তাৰ ৰাগীয়ে এৰা নাই। সেই ধাউতি আৰু ৰাগীৰ বাবেই হব পায়, এই জীৱনৰ গোটেই ছোৱা 'সভা-সমিতি', 'ক্লাব-এচোচিয়েচন' ইত্যাদিৰ সম্পাদকৰ বাব বওঁতেই পাৰ হৈছে, কিন্তু আজিলৈকে—এই আপোনা-সকলৰ আগত থিয় দিয়াৰ আগলৈকে—দেখনীয়াকৈ ক'তো সভাপতিৰ বাব এই নিচলাই বৈ পোৱা নাই। বিগত অভিজ্ঞতাৰ বলত সভাপতিৰ আলধৰা বাবলৈ একেৰি পৈণত হলেও, সভাপতিৰ বিষয়-বাবলৈ যে আপোনাসকলৰ বাছনিত উঠা এইজন নিচেই অপঁইতা, তাক এতিয়াই স্বীকাৰ নকৰিলেও অলপৰ পাচতে আপোনা-সকলে বুজিব পাৰিব। এতেকে অপঁইতা বাঁহৰ কাঠী কামীৰ সৈতে সজা সঁজুলিত আসোঁৱাহ ওলাব, সেইবাবে আপোনাসকল বাঁহ-বাছোঁতাই একেৰি ত্ৰুটী স্বীকাৰ কৰিব লাগিব। আন কথাৰে কবলৈ গলে, পোনেই সম্পাদকৰ জুহালৰপৰা টানি আনি, কমাৰশাল নেদেখুৱাকৈ, বাজে এই অনভিজ্ঞজনক আপোনাসকলে এই শিৱসাগৰত সভাপতিৰ সোণাৰিশালত বহুৱাইছেহি, সেইবাবেও আপোনাসকলে ক্ষতি স্বীকাৰ নকৰিলে নহব। কিয়নো, এই অপৈণত অযোগ্যজনৰ হাত লাগি যে আপোনাসকলৰ নিভাঁজ কেঁচা সোণতো ভাঁজ লাগি তাৰপৰা বিকৰ্মা বিধৰ অলঙ্কাৰহে ওলাব, সেইটো আপোনাসকলে অৱশ্যে জানিছে। সেইহে আক্ষৌ কওঁ যে এই অপাত্ৰক আজি মৰম কৰি, এই পোন-প্ৰথম "সদৌ অসমৰ সাহিত্য-সন্মিলনী"ৰ সভাপতি পাতি অযথা সন্মান দিয়াৰ বাবে আপোনাসকলক শলাগিমেই নে আপোনাসকলৰ হৈ আক্ষেপকে কৰিম সেইটো সঁচাকৈয়ে ঠাৱৰাব পৰা নাই।

তথাপিও যে এই অপাত্ৰত আপোনাসকলৰ বাছনি কিয় পৰিল, আৰু তেওঁৰেইবা নিজৰ অযোগ্যতাৰ বিষয়ে জানিও, আপোনাসকলে মৰমত যাচি দিলে বুলিয়েই, এই বলে-নোৱাৰা বাব কিয় মূৰ দোঁৱাই কান পাতি ললে, তাৰ কাৰণ জানিবলৈ বাইজৰ মনত কৌতূহল জন্মিব পাৰে। সেই কাৰণে, তাৰ উমৈহতীয়া উত্তৰত ইয়াকে মাথোন কোৱা যায় যে, এই ক্ষুদ্ৰ জীৱনৰ বহুদিনীয়া—প্ৰায় তেৰ-কুৰি বছৰীয়া—একাপতীয়া সাহিত্য-সেৱাৰ মাত্ৰাত আপোনাসকলে সেই মৰম দেখুৱাব, আৰু তেওঁক এই বলে-নোৱাৰা বিষয়বাব ৰবলৈ বল দিয়াৰ আচল কাৰণ হবপায়। এইখিনিতে ইয়াকো কব লাগে যে, প্ৰতিভাৰ আসন তেওঁৰ নাই যদিও, পৰিশ্ৰমৰ বল অৱশ্যে থাকিব পাৰে; আৰু আজি বহুকাল জাতীয় সাহিত্য-সেৱাত একেৰাহে লাগি থকা সেই পৰিশ্ৰমৰ আৰ্জনত কিবা সাৰৱস্তু পোৱা যায় নেকি, তাকে চাবলৈ সম্ভৱতঃ আপোনাসকলে তেওঁক এই

মহলাৰ স্থলত থিয় কৰোৱাটোও তাৰ অন্যতম কাৰণ হ'ব পাৰে। সি যি হওক, আপোনাসকলে যদি ভাবিছে যে, এই সামান্য সাহিত্যসেৱীয়ে এই বিৰাট সভাৰ পতিত্ব গ্ৰহণ কৰাৰফলত কোনোবাকালে একেবি জাতীয় উপকাৰ হ'ব পাৰে, তেন্তে এই আসন লবলৈ তেওঁ বাধ্য ; ইয়াত অমান্তি হবলৈ তেওঁৰ অধিকাৰ নাই। আৰু, সেই অৰ্থে আপোনাসকলে তেওঁলৈ যি অনুৰোধ পত্ৰ পঠিয়াইছিল, তাক তেওঁ আপোনাসকলৰ আদেশ বুলি মানিছে ইয়াত উপস্থিত হৈছেহি।

'সন্মিলনী'ৰ নাম লোৱাৰ আগেয়ে সাহিত্য সম্পৰ্কে দু-আষাৰ কোৱাৰ আৱশ্যক ; তাৰো আগেয়ে তাৰ আধাৰ স্বৰূপ ভাষা সম্পৰ্কে অলপ উন্নুকিউৱাৰ প্ৰয়োজন। একে আষাৰে কবলৈ গলে, ভাষা মানুহৰ মনোভাৱ ব্যক্ত কৰাৰ উপায় বিশেষ মাথোন। ভাষাৰে সৈতে কাণেৰে শুনাইলৈকে তাৰ ফুটাৰ পাৰি, আৰু মনত বোৱাইলৈকে ই গুণ দিয়ে ; আওকাণ আৰু পাহৰণত ইয়াৰ অস্তিত্ব নাই। সেই কাৰণে, নিলগৰ মানুহলৈ মনোভাৱ ব্যক্ত কৰিব লগা হলে, তাক লিপিবদ্ধ কৰিব লগীয়া হয় ; আৰু সেয়ে হলেই সেই ভাষাৰ সাহিত্য গঢ়িত হয়। সাহিত্যৰ আলোচনা আৰু পৰিচালনাৰ অৰ্থে সাহিত্যিক আৰু সামাজিক লোক সমবেত হোৱাকে সাহিত্য-সন্মিলনী বা সাহিত্যিক সন্মিলনী বোলা যায়। আজিৰ সন্মিলনীত অসমীয়া সাহিত্যৰ পৰিচালনা আৰু অসমীয়া সাহিত্যৰ ভৱিষ্যতে জ্ঞানবিস্তাৰৰ আলোচনাৰ অৰ্থে আমি সদৌ অসমৰ প্ৰতিনিধি সমজুৱা ইয়াত সমবেত হৈছোঁহিক ; গতিকে ইয়াক অসমীয়া সাহিত্যৰ বিভূতি থকা "সদৌ অসমৰ সাহিত্য সন্মিলনী" বোলা হৈছে।

ভাবতকৈ ভাষা আগেয়ে ব্যক্ত হয়, গতিকে আগৰ-চিতকৈ পাচৰটি সদায় এখোজ আগ। সেইদৰেই, দূৰৈ-ভৱিষ্যতৰ সম্পৰ্কত, ভাষাতকৈ সাহিত্য সদায় এখোজ আগবাঢ়ি যায়। আৰু, কোনো এটা জাতিয়ে জাতীয়ত্বৰ চিনাকি দিবলৈ হলে, সেই জাতীয় ভাষা আৰু সাহিত্যইহে আগধৰি সেই চিনাকি দিয়ে। কাৰণ, জাতীয় অন্তৰতম ভাব, চিন্তা, তেজ আৰু প্ৰতিভা বাজ ওলাবলৈ ভাষা আৰু সাহিত্যত বাজে সুগম বাট আন নাই। আকৌ ভাষাতকৈ সাহিত্য এখোজ আগ ; সেই কাৰণে জাতীয়ত্বৰ চিনাকি দিয়াত জাতীয় সাহিত্য ভাষাতোকৈ এখোজ আগুৱাই যায়। গতিকে, মানুহৰ জাতি আৰু ধৰ্ম সাহিত্যৰ স্ৰষ্টা হলেও, সি সাহিত্যৰ আঁচলত ধৰিহে আগ বাঢ়িব পাৰে ; সাজ-পাৰ আদিয়েও এই বিষয়ত সাহিত্যক পাচ পেলাই আগ হ'ব নোৱাৰে। আমাৰ দেশত ৺মাধৱ কন্দলী, ৺শঙ্কৰদেৱ, ৺মাধৱদেৱ, ৺অনন্ত কন্দলী, ৺ৰাম সৰস্বতী, এইসকল সাহিত্যিক মহাপুৰুষৰ দ্বাৰা গঢ়িত সাহিত্যেই যে তাৰ বিশিষ্ট প্ৰমাণ তাৰ বিষয়ে এই সম্ভাষণৰ যথাস্থানত বিবৰি কোৱা যাব। এতেকে, মানিব লাগিব, সাহিত্যই জাতীয়ত্বৰ আচল চিনাকি, সাহিত্যই জাতীয়ত্বৰ প্ৰকৃত জীৱন ; সাহিত্যৰ অবিহনে কোনো জাতিৰ অস্তিত্ব টিকিবৰ সম্ভাৱনা নাই। যি জাতিৰ সাহিত্য নাই, সেই জাতিৰ ভাষা দোৱান মাথোন, চৰাই-পছুৰ মাত-বোলতকৈ সি এখোপ মাথোন ওপৰত, যি জাতিৰ সাহিত্য যেতিয়ালৈকে গঢ় নোলোৱাকৈ থাকে, সেই জাতিৰ জাতীয় জীৱন তেতিয়ালৈকে অনিশ্চিত হৈ ৰয় ; যি জাতিয়ে জাতীয় সাহিত্য গঢ়ি তুলিবগৈ নোৱাৰে, সেই জাতিৰ প্ৰাণ নাবাঁচেগৈ, সি কোনো এটা সাহিত্যবান বলী চুবুৰীয়া জাতিত লয় হৈ আপোনাৰ অস্তিত্ব হেৰুৱায়। ই নৈসৰ্গিক নিয়ম, ইয়াৰ অন্যথা অসম্ভৱ।

নৈ যেনেকৈ আপুনি বৈ যায়, তাক কোনেও বাট লগাব নালাগে, ভাষাও তেনেকৈ আপুনি ওলাই আপুনি ব্যাপ্ত হয়, ইয়াৰ বিস্তাৰত কোনো কৃত্ৰিম উপায় নাখাটে। ভাষাৰ এই স্বাভাবিক গুণৰ বাবেই এটা ভাষাৰ ঠাইত আন এটা ভাষা থাপিবৰ সাধ্য নাই। এটা জীয়া ভাষাক মাৰি তাক আন এটা জীয়া ভাষাত লয় নিয়াব নোৱাৰি ; আৰু সেই অৰ্থে কোনো বলী জাতিয়ে অস্বাভাৱিক বল প্ৰয়োগ কৰিলেও সি স্থায়ীভাৱে গুণ দিব নোৱাৰে। যোৱা চৈধ্য বছৰমান আগলৈকে, অসমীয়া ভাষাক মাৰি বঙলা ভাষাত লয় পোৱাবলৈ অৰ্দ্ধ শতাব্দীৰ ঊৰ্দ্ধ কাল অবাধিত বল প্ৰয়োগ কৰি বিপক্ষ দল বিফল-মনোৰথ হোৱাই ইয়াৰ জলন্ত সাক্ষী। কাৰণ, ব্যাকৰণতত্বে ভাষাৰ বিশেষত্ব ৰয়,

বাক্যাৱলী বা বচন ভঙ্গীত নহয়। অসমীয়া ভাষাৰ সাহিত্য, আৰু সেই সাহিত্যৰ বিশেষত্ব বঙ্গলা ভাষাৰ সাহিত্যৰ বিশেষত্বৰপৰা কিমান পৃথক তাক ইয়াৰ আগেয়ে বিবিধ প্ৰসঙ্গত ভালেমান কৃতবিদ্য সাহিত্যিকে বিশেষকৈ বুজাই থৈছে ; এই সম্ভাষণতো যথাস্থানত তাৰ সামঞ্জিয়াল ভাৱৰ পুনৰুক্তি হব। ব্যাকৰণৰ মজিয়াত খোপনি পিটখোৱা সুগঠিত সাহিত্যত যিমানেই কি বিদেশী বা বিভাষী শব্দ আৰু বচন-ভঙ্গী সোমাওক লাগে, সি কেতিয়াও সাহিত্যৰ স্বকীয়াত্বৰ হানি কৰিব নোৱাৰে, মুঠেই সেই শব্দ আৰু বচন-ভঙ্গী গ্ৰহণ কৰিবৰ সময়ত তাক নিজৰ সাঁচত দাবি লব জানিব লাগে। এই কথাৰ প্ৰমাণ দিবলৈ আমি সবহ দুখ নকৰি আমাৰ জাতীয় সাহিত্যত বিচাৰি চালেই তাৰ ফটফটীয়া পটন্তৰ পামহঁক। ৮শঙ্কৰদেৱে হিন্দী, মাগধী, ব্ৰজবুলি, উড়িয়া আদি ভাষাৰ শব্দ আৰু বচনভঙ্গী পাচিয়ে পাচিয়ে আনি আমাৰ অসমীয়া ভাষাত সুমুৱাৰপৰা আমাৰ সাহিত্যৰ স্বকীয়াত্বত কোনো বিঘ্ন নঘটি তাৰ যে শ্ৰী-বৃদ্ধিহে হ'ল, সেই কথা এতিয়া পৈণত সাহিত্যিকসকলে স্বীকাৰ কৰে।

এটা ভাষাৰ ঠাইত আন এটা ভাষা থাপিবলৈ অস্বাভাৱিক বল প্ৰয়োগ কৰাৰপৰা যে সুফল নফলিয়ায়, বুৰঞ্জীয়ে তাৰ ভালেমান প্ৰমাণ জিলিকাই ৰাখিছে, যেনে— (১) পুৰণি গ্ৰীক সাহিত্যই এসময়ত পৃথিৱীৰ সকলো সাহিত্যৰ ওপৰত ঠাই পাইছিল , পিচে, দুহেজাৰমান বছৰ সেইভাৱে জিলিকাৰ পাচত, তাৰ ভাগ্য চকৰি লুটি খালে, সি যৱ-শ্ৰী ধৰি একেবাৰে মাৰ যাব লগাত পৰে , প্ৰাতোনীয়া জাতিয়ে পুৰণি গ্ৰীক্ জাতীয় ভাষাক তল পেলাই. সিবিলাকৰ নতুন সৃষ্ট গ্ৰীক্ ভাষাৰ প্ৰতিপত্তি গ্ৰীচত স্থাপন কৰিলে। তাৰপৰা এটামান শতাব্দীৰ পাচত সেই নতুন আৰু পুৰণিৰ সামঞ্জস্য ঘটাই গঢ়া নতুন ভাষাৰ ঠাইত গ্ৰীচ্‌বাসীয়ে আকৌ পুৰণি গ্ৰীক্ ভাষাক থাপিবলৈ চেষ্টা কৰিলে , কিন্তু সেই অস্বাভাৱিক চেষ্টাৰ বছৰচেৰেকৰ পাচত দেখা গ'ল যে, গ্ৰীচবাসী জনসাধাৰণে পুৰণি গ্ৰীক্ ভাষা যে নৰ নোবোৱাবিলেই, নতুন ভাষাৰো চৰ্চা এৰি দি দেশত অশিক্ষিতৰ সোঁত বঢ়াবলৈ ধৰিলে ; সেহাহৰত সেই ৰাজত্বে প্ৰতিপত্তি লাভ কৰা ভাষাৰ স্বাভাৱিক শক্তিক আকৌ ঘাট এৰি দিব লগীয়া হয়। (২) আন হাতে, উত্তৰ ফ্ৰান্সৰ নৰ্মাণবিলাকে ইংলণ্ড দখল কৰাৰ পাচত, তাত সোমতে সিবিলাকৰ নিজ ফৰাচী ভাষা চলাবলৈ যত্ন কৰিছিল , ৰাজকীয় কাৰ্য্যত সগোৰৱে উপৰিও, ফৰাচী ভাষাত সিবিলাকে কিতাপ-পত্ৰ প্ৰচাৰ কৰিবলৈ ধৰিলে। কিন্তু, ফলিতাৰ্থত এই হ'ল যে, ইংলণ্ডৰ জনসাধাৰণে যে সেই ভাষা নৰ নোবোৱাবিলেই, ফৰাচীসকলেও সেই ইংৰাজী মিহলি উদ্ভুত ভাষা নিস্কাই, তাৰ প্ৰবৰ্তক নৰ্মাণবিলাকক ইতিকিং কৰিবলৈ ধৰিলে। অৱশেষত, তিনিশমান বছৰৰ পাচত, নৰ্মাণবিলাকে সেই অস্বাভাৱিক চেষ্টা এৰি দি ইংলণ্ডীয় নিজাপি প্ৰজাৰ ইংৰাজী ভাষা গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। (৩) আমাৰ নিজৰ দেশতো ঠিক তেনেকুৱা পটন্তৰ অসমৰ বুৰঞ্জীয়ে জিলিকাই ৰাখিছে। অসমত আহোম অভ্যুদয়ৰ বহুকালৰ আগৰেপৰা কামৰূপীয়া বা এতিয়াৰ অসমীয়া ভাষাৰ প্ৰচলন আছিল , আৰু আহোম-ৰাজেও নৰ্মাণৰ দৰে প্ৰজাৰ মাজত নিজৰ ভাষা চলাবলৈ সোনতে অস্বাভাৱিক চেষ্টা নকৰি এৰা নাই। কিন্তু সুদূৰদৰ্শী আহোম ৰাজপুৰুষসকলে যেতিয়া দেখিলে যে প্ৰজাৰ জীয়া ভাষা উভালি তাৰ ঠাইত সিবিলাকৰ নতুন ৰাজভাষা কৰবলৈ যোৱাটো অযথা চেষ্টা, আৰু তাৰ দ্বাৰাই ৰাজকাৰ্য্য নিয়াৰিকৈ সম্পাদিত হোৱাৰ সম্ভাৱনা নাই, তেতিয়াই সিবিলাকে সেই চেষ্টা এৰি দি নিজাপি প্ৰজাৰ অসমীয়া ভাষাকেহে গ্ৰহণ কৰিলে। আহোম ভাষাৰ প্ৰচলন বুৰঞ্জী আৰু আহোম ধৰ্ম পুথিত থাপি আহোমৰাজ যাৱতীয় ৰাজকাৰ্য্যাদিত অসমীয়া ভাষা চলাই তাৰ উন্নতি-কল্পে অহোপুৰুষাৰ্থ কৰিবলৈ ধৰিলে। আমাৰ প্ৰবেশী প্ৰখ্যাত পণ্ডিত শ্ৰীযুক্ত পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ মহাশয়ে গৌৰীপুৰত বহা "উত্তৰ-বঙ্গ সাহিত্য-সম্মিলন"ৰ তৃতীয় অধিবেশনৰ সভাপতিৰ অভিভাষণত কৈছিল, "যদি আহোম ৰাজগণ স্বাধীনভাৱে ৰাজত্ব না কৰিতেন, তবে প্ৰাচীন কামৰূপীয়া ভাষা বঙ্গ ভাষাৰ সহিত মিশিয়া যাইত, হয়ত আজ অসমীয়া ভাষাৰ চিহ্নও দেখিতে পাইতাম না। আহোম ৰাজগণ এই ভাষাকে ৰক্ষা কৰিয়াছেন।" প্ৰকৃত-

পক্ষে যে আহোম অভ্যুদয়ৰ লগে লগেইহে অসমীয়া ভাষাই লিখিত সাহিত্য লাভ কৰি ক্ৰমোন্নতিৰ ফলত বৰ্ত্তমান অৱস্থা পাইছেহি, তাৰ বহল আভাস এই সম্ভাষণৰ যথাস্থানত দিয়া যাব। ভাষাবিশাৰদ পণ্ডিত শ্ৰীযুক্ত শশধৰ ৰায় এম্-এ, বি-এল, মহাশয়ে কামাখ্যাধামত "উত্তৰ-বঙ্গ সাহিত্য সন্মিলন"ৰ পঞ্চম অধিবেশনত সভাপতিৰ অভিভাষণত কৈছিল, "আহোম অভ্যুদয়ই আসামেৰ স্বাতন্ত্ৰ্যেৰ প্ৰধান কাৰণ। এই স্বাতন্ত্ৰ্যেৰ প্ৰধান চিহ্ন— ভাষাভেদ।" অসমীয়া ভাষা এই দৰে জীয়াই থকাৰ কাৰণেই যে অসমীয়া জাতি আজি টনকিয়াল হৈ জীয়াই আছে সেইটো ওপৰত দিয়া যুক্তিৰ দ্বাৰা বিশদকৈ বুজা যায়; আৰু পৃথিৱীৰ বুৰঞ্জীত জাতীয় জীৱনৰ এনে পটন্তৰৰ অভাৱ নাই। এতেকে, জাতীয় জীৱন ধৰি টিকিবলৈ হ'লে, জাতীয় ভাষা জীয়াই ৰাখিব লাগিব, আৰু জাতীয় জীৱনৰ উন্নতি সাধি সভ্যতাৰ সোপানত উধাবলৈ হলে, তাৰ আগে আগে জাতীয় সাহিত্য গঢ়ি তাৰ উন্নতিলৈ লক্ষ্য ৰাখি খোজ দাঙিব লাগিব।

এইখিনিতে এইটোও মনত ৰাখিব লগীয়া যে, সাহিত্যৰ ভাষা সততে প্ৰাঞ্জল আৰু সৰ্ব্বসাধাৰণৰ বোধগম্য হলেহে তাৰ দ্বাৰা জাতীয় জীৱন গঢ়িত হব পাৰে, নহলে সি জাতিটোৰ উন্নত এটা শ্ৰেণীক ফালি নি তাক নিশকতীয়া আৰু মৰামুৱা কৰে। কিয়নো, ভাষাত অকল শিক্ষিতৰ আধিপত্য নৰজে, ই জনসাধাৰণ-ৰহে সম্পত্তি। সাহিত্যৰ ৰচনা কঠিন হলে সি ক্ৰমাৎ জনসাধাৰণৰ ভাষাৰপৰা নিলগ হৈ যায়। আৰু শেহান্তৰত সি তাকৰীয়া পণ্ডিতমণ্ডলীৰ মাজতহে আৱদ্ধ হয়গৈ; গতিকে তাৰ দ্বাৰা এটা জাতিৰ আটাইবিলাক লোক একেগোট হৈ জাতীয় জীৱন সুগঠিত হোৱাত অন্তৰায় ঘটে। সেই কাৰণেই, আজিকালিৰ উন্নত জাতিবিলাকে জাতীয় সাহিত্যত কোৱা-ভাষা আৰু লিখা-ভাষাৰ মাজত পাৰ্য্যমানে ওচৰ-সম্বন্ধ ৰাখিবলৈ চায়। যি জাতিৰ সাহিত্য কোৱাভাষাৰপৰা যিমান নিলগ হৈ যায়, সেই জাতিৰ জাতীয় জীৱন সিমান ক্ষীণাবলৈ ধৰে, আৰু অন্তত কেতিয়াবা তাৰ অস্তিত্বও লোপ পায়গৈ।

সাহিত্যই ধৰ্ম্মৰো বাট লগায়। বুৰঞ্জীত ইয়াৰ প্ৰমাণৰ অভাৱ নাই। সাহিত্যই অসমত কেনেকৈ ধৰ্ম্মৰ বাট লগাইছিল, তাৰ আভাস যথাস্থানত দিয়া যাব। গতিকে, ধৰ্ম্ম-গ্ৰন্থই সাহিত্যৰ যি অঙ্গ পূৰণ কৰে, সিও জনসাধাৰণৰ ভাষাৰে সৈতে লিখিত হোৱাহে বাঞ্ছনীয়। তেনে নোহোৱাৰ বাবে ধৰ্ম্মৰ বান্ধ জটিল অথচ ঢিলা হৈ পৃথিৱীত ভালেমান জাতীয় জীৱন অকালত ভগলৈ গৈছে আৰু যাবলৈ ধৰিছে। বাইবেল গ্ৰন্থ হিব্ৰু আৰু গ্ৰীক্ সাহিত্যৰ-পৰা লাটিনলৈ ভাঙি তাৰে সৈতে পূজা-অৰ্চ্চনা আদি চলাবলৈ ধৰাত, লাটিন্ নজনা জনসাধাৰণে তাক ভাটৌৰ দৰে আওৰাইছিল, কিন্তু তাৰপৰা সিবিলাকৰ অন্তৰত আচল ধৰ্ম্মভাৱৰ সঞ্চাৰ নহৈছিল। তাৰ ফলত খ্ৰীষ্টধৰ্ম্মৰ মাজথনতে যি বিপৰ্য্যয় ঘটিছিল তাক বুৰঞ্জীপাঠকসকলে ভালকৈ জানে। সেই একে গতিয়েই মুছলমানৰ কোৰাণ আৰু হিন্দুৰ শাস্ত্ৰাদিৰো এতিয়া হৈছে। আৰবীত কোৰাণ আৰু সংস্কৃতত বেদ-শাস্ত্ৰাদি লিপিবদ্ধ থকাৰ কাৰণে মুছলমান আৰু হিন্দুৰ জনসাধাৰণৰ ধৰ্ম্মৰ প্ৰকৃত মৰ্ম্মৰপৰা বহু নিলগত পৰিছেগৈ, আৰু তাৰ ফলত সিবিলাকৰ জাতীয় জীৱন ক্ৰমাৎ জুকলা হবলৈ ধৰিছে। ষোল শতিকাত মহাত্মা লুথাৰৰ ধৰ্ম্ম-সংস্কাৰৰ ফল স্বৰূপ যেতিয়াৰপৰা বাইবেল দেশীভাষাত অনুবাদিত হৈ জনসাধাৰণৰ মাজত প্ৰচাৰিত হ'ল, তেতিয়াৰপৰা খ্ৰীষ্টধৰ্ম্ম আকৌ ঠন্ ধৰি উঠিল। আমাৰ অসমতো সেই যুগতে মহাপুৰুষ ৺শঙ্কৰদেৱে যেতিয়া সংস্কৃত ভাগৱত মথি জনসাধাৰণৰ ভাষাৰে গঢ়িত অসমীয়া সাহিত্যত ভাগৱতী ধৰ্ম্মৰ গ্ৰন্থ ৰচি প্ৰচাৰ কৰিবলৈ ধৰিলে, তেতিয়াৰপৰা সেই পবিত্ৰ ধৰ্ম্মৰ সঞ্জীৱনী শক্তি লাভ কৰি অসমীয়া পতিত জাতীয় জীৱন আকৌ উদ্ধাৰ হ'ল। কিন্তু হিন্দুধৰ্ম্মৰ অন্যান্য পন্থৰ ধৰ্ম্ম-গ্ৰন্থাদি এতিয়াও সংস্কৃতৰ শ্লোকময় হৈ থকাত আমাৰ বৰ্ত্তমান জাতীয় জীৱনে এতিয়াও সম্পূৰ্ণে গা কৰি উঠিব পৰা নাই। পূজা-সেৱা, যাগ-যজ্ঞ আৰু বিয়া-শ্ৰাদ্ধ ইত্যাদিত অপৈণত পূজাৰি, ধৰ্ম্মযাজক আৰু পুৰোহিতৰ অশুদ্ধ আৰু অস্পষ্ট উচ্চাৰণৰ প্ৰতিধ্বনি শুনি কণাই লাখুটি ধৰি বাট ফুৰাৰ দৰে অসমীয়া

জনসাধাৰণ ধৰ্ম্মশখত আগ বাঢ়িছে ; কিন্তু কঠিন সংস্কৃত শ্লোকত লীন হৈ থকা ধৰ্ম্মৰ পৱিত্ৰ আৰু গভীৰ আধ্যাত্মিক ভাবৰ ওচৰ চাপিবলৈ সিবিলাকে নোৱাৰেগৈ। সেই কাৰণেই বৰ্ত্তমানত আমাৰ সমাজ ধৰ্ম্মৰ প্ৰকৃত মোল বুজা হৈ ক্ৰমাৎ তললৈ গৈছে, আৰু তাৰ লগে লগে আমাৰ জাতীয় জীৱন ক্ষীণাই মৰামূৰা হবলৈ ধৰিছে। এতেকে, আমাৰ জাতীয় জীৱন পুনঃ টনকিয়াল কৰিবলৈ হলে, যিমান সোনকালে সম্ভৱ আমাৰ ধৰ্ম্ম-গ্ৰন্থাদি সংস্কৃতৰপৰা অসমীয়ালৈ ভাঙি তাক জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ আমাৰ জাতীয় চেষ্টা হব লাগে। সেই একে কাৰণ আৰু উদ্দেশ্যেই আৰবী ভাষাৰপৰাও কোৰাণৰ অসমীয়া ভাঙনি ওলাব লাগে। নহলে ভাটৌৰ দৰে আৰবী আওৰাই আমাৰ মছলমান সম্প্ৰদায়ৰ সকলোৱে সমানে ধৰ্ম্মৰ প্ৰকৃত মৰ্ম্ম আয়ত্ত কৰিব নোৱাৰাৰ ফলত, সিবিলাকৰ জনসাধাৰণ অন্ধবিশ্বাসৰ আদিৰ্ঙেটিত পিচ পৰি ৰব ; আৰু সেয়ে হলেই, অসমীয়া জাতিটোৰ এটা প্ৰধান অঙ্গ ক্ষীণাই যোৱাৰ বাবে আমাৰ জাতীয় জীৱন সম্পূৰ্ণকৈ পুষ্ট কৰিব পৰা নাযাব। সংস্কৃতৰপৰা অসমীয়ালৈ ভাঙিলে ধৰ্ম্মৰ পৱিত্ৰতাৰ হানি হব বুলি হিন্দুৰ যি বিশ্বাস, আৰবীৰপৰা অসমীয়ালৈ ভঙালে মছলমানৰ সেই বিশ্বাস, অতীজত লাটিনৰপৰা দেশী ভাষালৈ ভঙাত খ্ৰীষ্টানৰো সেই একে বিশ্বাসেই আছিল। কিন্তু, পৰিবৰ্ত্তনশীল জগতত নতুনকৈ উঠি অহা আৰু সভ্যতাৰ খোপত আগ বাঢ়ি উঠা জাতিৰ লগত উধাবলৈ হলে পুৰণি ৰীতি-নীতিৰ মামৰ গুচাই তাৰ সংস্কাৰ সাধিবই লাগিব ; খ্ৰীষ্টধৰ্ম্মত সেই সংস্কাৰ সধা হৈ গৈছে, হিন্দু আৰু মছলমান ধৰ্ম্মতহে সি এতিয়াও হবলৈ বাকী ৰৈছে। এই প্ৰসঙ্গতে ইয়াকো কোৱা যায় যে, ধৰিবলৈ গলে, ধৰ্ম্মৰে সৈতে ভাষাৰ কোনো সম্বন্ধ নাই। ধৰ্ম্ম সাৰ্ব্বজনিক, সনাতন আৰু বিশ্বজনীন। ধৰ্ম্ম কোনো বিশেষ ভাষাত আবদ্ধ নাথাকে। যি ভাষাত যাৰ হৃদয়ে ভাব ফুটাব পাৰে, তাৰ গ্ৰহণ কৰিব পাৰে, সেই ভাষাতে সেই জাতি বা সম্প্ৰদায়ৰ ধৰ্ম্মশাস্ত্ৰ লিপিবদ্ধ হোৱা বাঞ্ছনীয়। অসমীয়া ভাষাই হৈছে অসমীয়া হিন্দু-মছলমানৰ সেই হৃদয়স্পৰ্শী মাতৃভাষা। এতেকে, অসমৰ হিন্দু-মছলমানে সিবিলাকৰ ধৰ্ম্মশাস্ত্ৰ অসমীয়া ভাষালৈ ভাঙি জনসাধাৰণৰ মাজত প্ৰচাৰ কৰাটো যে এতিয়া সৰ্ব্বতোভাৱে কৰ্ত্তব্য হৈছে, তাক কোৱা বাহুল্য মাথোন। ইয়াৰ নিমিত্তে অসমত এটা স্বকীয়া সুবিধা এই ৰৈছে যে, ধৰ্ম্মত বাজে আন সকলো কথাতে অসমীয়া হিন্দু আৰু মছলমান প্ৰায়ে এক, অসমীয়া ভাষাৰ প্ৰতি দুইৰো সমান মৰম, অসমীয়া সাহিত্যৰ উন্নতিলৈ দুইৰো সমান ধাউতি।

মানুহৰ মনোভাৱ ব্যক্ত হলেই ভাষাৰ সৃষ্টি হয়, আৰু ভাষা লিপিবদ্ধ হলেই সাহিত্য গঢ়িত হয়। কিন্তু, এইখিনিতে মন কৰিবলগীয়া যে, কোন্ আৰু কেনে বিধৰ বিষয়ত লিপিবদ্ধ হোৱা ভাষাক সাহিত্য বোলা যায়। সাধাৰণতে, কাব্যালঙ্কাৰেই সাহিত্য নামে অভিহিত হৈছে। সৰ্ব্বসাধাৰণৰ ধাৰণা এই যে কাব্যই সাহিত্য, আৰু সাহিত্যৰ উদ্দেশ্য সৌন্দৰ্য্য-সৃষ্টি। সাহিত্যক এই সূত্ৰৰ চুহাত আবদ্ধ ৰাখি সিবিলাকে দৰ্শন, বিজ্ঞান, ইতিহাস আদি বিষয়-বিদ্যাক তাৰপৰা পৃথকাই স্বকীয়া আখ্যা দিয়ে। কিন্তু, দকৈ গমি চালে বুজা যাব যে, এই আখ্যা নিখুঁত নহয় ; ইয়াত অকল ভ্ৰমেই নহয়, ভুলও আছে। মনোভাৱ ব্যক্ত হোৱাই যদি ভাষা, আৰু ভাষা লিপিবদ্ধ হোৱাই যদি সাহিত্য, তেন্তে সি অকল কাব্যতে আবদ্ধ ৰব নোৱাৰে। মনোভাৱ অকল কাব্য-বিষয়কেই নহয়, সি হবেক বিষয়ক হব পাৰে ; দৰ্শন, বিজ্ঞান, ইতিহাস, পুৰাতত্ত্ব, মানৱতত্ত্ব, ইত্যাদিও তাৰ বিষয় হোৱাটো স্বাভাৱিক কথা। এতেকে, যি ভাষাই এইবিলাক বিষয়ৰো ভাব বা জ্ঞান-বিদ্যা প্ৰকাশ কৰে, সেই ভাষাৰ সাহিত্যই সেই সকলো বিষয়ক জ্ঞানৰ বিভাগকে সামৰিব লাগিব। এই যুক্তিৰ বাহ্য এৰাব নোৱাৰা কথা। গতিকে, চমুকৈ সূত্ৰ বান্ধিবলৈ হলে, সংসাৰৰ যাৱতীয় বিষয়ৰ জ্ঞানমূলক ভাবৰ লিপিবদ্ধ বিৱৰণকে সাহিত্য বোলা যায়। ভাষাক এনেভাৱে আহল-বহলকৈ ঠাই দি লিপিবদ্ধ কৰিলেহে সাহিত্য সম্যকৰূপে বিকশিত হোৱা সম্ভৱ ; তেনে বিকশিত সাহিত্যৰ দ্বাৰাহে উন্নত সমাজ সংগঠন হোৱাৰ সম্ভাৱনা, আৰু উন্নত সমাজৰ মাজতহে জাতীয় জীৱন গঢ়িত হোৱাটো সম্ভৱপৰ। অকল

এটা অঙ্গ সৱল হলেই শৰীৰৰ পুষ্টিসাধন নোহোৱাৰ দৰে, অকল কাব্যালঙ্কাৰৰ উন্নতিবিষয়ক সাহিত্যৰ দ্বাৰাও জাতীয় জীৱন যে পৰিপুষ্ট হব নোৱাৰে, সি ধ্ৰুৱ। সেই কাৰণে, সাহিত্যত এহাতে যেনেকৈ কাব্য, উপন্যাস, নাটক আদিৰ বিকাশ, আন হাতে তেনেকৈয়ে দৰ্শন, বিজ্ঞান, ইতিহাস, পুৰাতত্ত্ব, মানৱতত্ত্ব ইত্যাদিও প্ৰকাশ পাব লাগে, তেহে সাহিত্য সম্পূৰ্ণে বিকশিত হয়; তেহে তাৰ দ্বাৰা জাতীয় জীৱন সৱল হব পাৰে।

বৈজ্ঞানিক প্ৰণালীৰে বিদ্যা উপাৰ্জ্জন নহলে, জনসাধাৰণৰ মাজত জ্ঞানবিস্তাৰ সম্পূৰ্ণ হৈ নুঠে, বিশেষকৈ জগতৰ উপস্থিত উন্নতিৰ দিনত। ইয়াৰ ব্যাখ্যা বহল নকৰি, ইংৰাজ, মাৰ্কিন, জৰ্ম্মাণ, জাপানী, এই উন্নত জাতিবিলাকৰ সাহিত্য-সংগঠন আৰু জ্ঞান-উপাৰ্জ্জনলৈ আঙুলিয়ালেই যথেষ্ট হব। এইবিলাক জাতিবো জাতীয় সাহিত্য যেতিয়ালৈকে অকল কাব্যালঙ্কাৰতে আবদ্ধ আছিল, তেতিয়ালৈকে সিবিলাকৰো জাতীয় জীৱন টনকিয়াল হোৱা নাছিল; বৈজ্ঞানিক সাহিত্যৰ বলতহে আজি এই উন্নত জাতিবিলাকে পৃথিৱীক চমক্ লগাই জিলিকিব পাৰিছে। বৰ দুখৰ বিষয়, ভাৰত আজি এই বিষয়ত উদাসীন। আৰু, বৰ পৰিতাপৰ বিষয় যে, আমাৰ অসম এতিয়াও এই বিষয়ত সম্পূৰ্ণ অনাভুৱা হৈয়ে ৰৈছে! বৈজ্ঞানিক শিক্ষা কি, অসমে তাৰ মোল নাপায়। দৰ্শন, বিজ্ঞান, পুৰাতত্ত্ব, মানৱতত্ত্ব ইত্যাদি বিষয়ত অসমীয়া সাহিত্যৰ ভৰ্‌ঁাল তেনেই উদং! আন কি, পঢাশলীয়া পাঠ্য-পুথিৰ তালিকাতো এইবিলাক বিষয়ক গ্ৰন্থ বা কিতাপ-পুথিৰ ঘৰত শূন্য! সাধাৰণভাৱে বৈজ্ঞানিক চৰ্চ্চাৰ আভাস লৈ চাবলৈ হলেও, ইংৰাজী বা অন্ততঃ বঙ্গলা সাহিত্যৰ ভৰ্‌ঁালৈ হাত নাপাতিলে অসমীয়াৰ সেই কামনা সিদ্ধি হবৰ উপায় নাই। এনে স্থলত, অসমীয়া সাহিত্যে অসমীয়া সমাজৰ উন্নতিসাধনত, অসমীয়া জাতীয় জীৱন গঠন কৰাত কি গুণ দিব পাৰে, তাক কৈ এই সম্ভাষণৰ দীঘ বঢ়োৱাতকৈ আপোনাসকলে সেই বিষয়ে গমি চোৱাহে বিধেয় বিবেচনা কৰোঁ।

জনসাধাৰণৰ মাজত জ্ঞান বিস্তাৰ কৰাই সাহিত্যৰ মুখ্য উদ্দেশ্য। এই উদ্দেশ্য সিদ্ধি হলে হে সমাজৰ উন্নতি সাধিব পাৰি। আৰু, উন্নত সমাজৰ সমষ্টিৰেহে জাতীয় জীৱন গঢ়িবলৈ সমল পোৱা যায়। এতেকে, যি প্ৰণালীৰে সাহিত্য চৰ্চ্চা হলে ওপৰত কোৱা উদ্দেশ্য সাধন কৰিব পাৰি, তাৰ উদ্দেশ্যে সাহিত্যিকসকলৰ প্ৰতিভা, পৰিশ্ৰম আৰু অধ্যৱসায় নিয়োজিত হোৱা বাঞ্ছনীয়। এই বিষয়ত আমাৰ বৰ্ত্তমান পতিত জাতিয়ে পৃথিৱীৰ আন-আন উন্নত আৰু উন্নতিশীল জাতিবিলাকৰ আৰ্হি লোৱা যুক্ত। আজিকালি সেই আৰ্হি-চিত্ৰত দেখোঁইক যে, সাহিত্যক অকল কাব্যালঙ্কাৰৰ টোলৰ ভিতৰতে আবদ্ধ নাৰাখি ওপৰত কৈ অহা বিবিধ বিষয়ক জ্ঞান-চৰ্চ্চাৰ নিমিত্তে ক্ষেত্ৰ বহলাই দিয়া হৈছে। তাৰ ফলত স্বাভাৱিকতে সেইবিলাক জাতিৰ সমাজ-বান্ধ কটকটীয়া হৈ জাতীয় জীৱন আপুনি সুগঠিত হৈ উঠিছে। এতেকে, আমিও সেই উন্নতি লাভ কৰিবলৈ হলে, সেই দৰে স্বাভাৱিক গতিৰে উধাবলৈ চাব লাগিব। গছৰ গুৰিয়েদি উঠি ডাল বগালেহে গুটি খাবলৈ পোৱা যায়, মাটিৰপৰা গছৰ আগলৈ উধাও হৈ জঁপিয়ালে মুখ নভবে। ইয়াকে গমি চাই আমাৰ নবীন আৰু প্ৰবীণ সাহিত্যিকসকলে এতিয়াৰপৰা উল্লিখিত বিবিধ বিষয়কৰ গ্ৰন্থাদি ৰচিবলৈ আৰু প্ৰবন্ধাদি লিখিবলৈ লাগি যাওক, তেহে আমাৰ সাহিত্য, সমাজ আৰু জাতীয় জীৱনৰ যথাৰ্থ উন্নতি হব।

ইমানলৈকে ভাষা, সাহিত্য আৰু সন্মিলনী সম্বন্ধে সাধাৰণভাৱে আভাস দিয়া হ'ল, আৰু মাজে-মাজে ছেগ বুজি অসমীয়া সাহিত্য আৰু অসমীয়া সন্মিলনীৰ বিষয়লৈ টোৱাই দু-আষাৰমান কোৱা গৈছে। এতিয়া সেই বিষয়ে সুকীয়াকৈ অলপ আলচ কৰি আমাৰ সুকীয়া প্ৰসঙ্গৰ কাষ চাপি থিয় দিওঁ, আৰু সেই অৰ্থে অসমীয়া ভাষা, সাহিত্য আৰু সন্মিলনীৰ শাৰীৰ অনুষ্ঠানৰ বুৰঞ্জী অলপকৈ উলিয়াই চাওঁ। কিন্তু, এইবিলাক বিষয়ক বুৰঞ্জী পাত-পাতকৈ নুটিয়াবলৈ গলে সি বহুত; এই প্ৰসঙ্গত তালৈ ঠাই হলেও, সময় হোৱাৰ সম্ভাৱনা নাই, আৰু সময়ে আঁটিলেও, তাৰ নীৰস বৰ্ণনাৰে সৈতে আপোনাসকলক আমনি লগাওঁ বুলি ভয়। গতিকে, অগত্যা তাৰ লাগতিয়াল ভাগ কেইটামানৰ

আজাল মাথোন ৰিৰলৈ আগ বাঢ়িলোঁ; কেতিয়াবা আকৌ হেল পালে অসমীয়া ভাষা, অসমীয়া সাহিত্য আৰু অসমীয়া সন্মিলনীৰ বুৰঞ্জী বিষয়ে বাইজৰ আগত বহলাই কবলৈ বাঞ্ছা থাকিল।

অসমীয়া ভাষা অতি পুৰাতনীয়া ভাষা, আৰু ইয়াৰ মূল সংস্কৃত। সংস্কৃত ভাৰতবৰ্ষীয় আৰ্য্যজাতিৰ ভাষা, আৰু ভাৰতবৰ্ষত আৰ্য্য-উপনিৱেশ সংস্থাপনৰ আৰম্ভণৰ-পৰাই প্ৰাচীন কামৰূপ বা আধুনিক অসম দেশত সংস্কৃত ভাষা আছিল বুলি অনুমান হয়। বিখ্যাত ঐতিহাসিক পণ্ডিত মিঃ ৰেইনৰ মতে, আৰ্য্যজাতিৰ ভাৰতবৰ্ষলৈ অহা ঠালৰ মানুহ দুভাগ হৈ এভাগ ভাৰতবৰ্ষৰ পছিম কোণৰ খাইবাৰ দুৱাৰেদি আৰু ইভাগ পুব কোণৰ পাটকাই দুৱাৰেদি একে সময়তে মাজ-এচিয়াৰপৰা ভাৰতবৰ্ষত সোমায়হি। তেনেহলে বুজা যায় যে, পোন-প্ৰথমে আৰ্য্যজাতিৰ সঁচ ভাৰতবৰ্ষত সঞ্চাৰিত হওঁতেই, পছিমে সিন্ধুনদৰ পাৰত যেতিয়া, খ্ৰীঃ পূঃ তেৰহাজাৰমান বছৰৰ পূৰ্ব্বে, আৰ্য্যভাষা সংস্কৃতৰ বেদধ্বনি শুনা গৈছিল, তেতিয়াই পূবে ব্ৰহ্মপুত্ৰ নদৰ পাৰতো তাৰ প্ৰতিধ্বনি উঠিছিল। তাত বাজেও, ৰামায়ণ, মহাভাৰত, কালিকা-পুৰাণ আদিতো কামৰূপত অতি পুৰণি কালৰেপৰা আৰ্য্য-উপনিৱেশ সংস্থাপনৰ চিনাকি পোৱা যায়। কালিকা-পুৰাণৰ মতে, বিষ্ণুৰ ঔৰসত পৃথিৱীৰ গৰ্ভত জন্ম পোৱা নৰক আদিতে মিথিলাত জনক ৰজাৰ ঘৰত প্ৰতি-পালিত হৈছিল। মিথিলাৰপৰা আহি নৰকে কামৰূপৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰত ঘটক কিৰাতক বধি খীয় আধিপত্য স্থাপন কৰেহি। ৰামায়ণত নৰকক 'দানৱ' আৰু পুৰাণত 'অসুৰ' বোলা হৈছে যদিও, নৰকৰ গাত আৰ্য্যতেজ আৰু আৰ্য্যসভ্যতা বিদ্যমান আছিল। মহাভাৰতৰ পূৰ্ব্বৰ ৰামায়ণ ৰচনাৰ কাল নিৰ্ণয় কৰি চালেই বুজা যাব কামৰূপত আৰ্য্যসভ্যতাৰ পোহৰ কতকালৰ পূৰ্ব্বেই প্ৰৱেশ কৰিছিল।

আদিতে আৰ্য্যজাতিৰ আদি ধৰ্মশাস্ত্ৰ ৰবেদ লিখিত গ্ৰন্থ নাছিল, তাৰ পুণ্য শ্লোকবিলাক বংশ-পৰম্পৰায় মুখে-মুখে চলিছিল; তেতিয়া সংস্কৃত সাহিত্যও গঢ়িত হোৱা নাছিল। এনে অৱস্থাত আৰ্য্য আৰু অনাৰ্য্য বা আদিম নিবাসীৰ সংস্ৰৱত লিখিলাকৰ মাত-কথাৰ সৰচন ঘটি, সংস্কৃতৰপৰা কালক্ৰমত প্ৰাকৃত, পালী, মাগধী, মৈথিলী, কামৰূপী ইত্যাদি ভাষাৰ সৃষ্টি হয়। তাৰ বহুকালৰ পাচত, অনুমান খ্ৰীঃ পূঃ তিনি শতিকামানমহে আৰ্য্যৰ ঢেউ লি বঙ্গ, উড়িষ্যা প্ৰভৃতি ঠাইলৈ ক্ৰমাৎ বাঢ়ি যায়। গতিকে, বঙ্গলা, উড়িয়া প্ৰভৃতি ভাষা আগৰ কামৰূপী বা এতিয়াৰ অসমীয়া ভাষাতকৈ বহুকালৰ পাচতহে সংস্কৃতৰ ঢেউ লি বাঢ়ি স্পষ্ট হয়। পণ্ডিত ৰেইনৰ মত ঠাকৰ বুলি মানিবলৈ টান পালেও, অসমৰ আৰ্য্যবসতি বঙ্গ-উড়িষ্যাতকৈ যে আগ সেইটো মানিবই লাগিব। কাৰণ, আন হাতে চাবলৈও, আৰ্য্যজাতি সিন্ধুনদৰ পাৰৰপৰা ক্ৰমাৎ পূবলৈ ব্যাপ্ত হওঁতে শতদ্ৰু আৰু গঙ্গা নদীৰ দক্ষিণ পাৰলৈ বহুলকৈ সিঁচৰিত নহৈ, উত্তৰ পাৰে একেবাৰে ভাৰতবৰ্ষৰ অতি পূৱভাগলৈকে বসতি বিস্তাৰ কৰাৰহে নিদৰ্শন পোৱা যায়। আৰু, এনে নিদৰ্শনক গঢ়িলা লৈহে ভাষাবিশাৰদ পণ্ডিত মিঃ গ্ৰীয়েৰচন চাহাবে তেওঁৰ গেজে-টীয়াৰত এই মৰে মন্তব্য প্ৰকাশ কৰে, "Assamese literature is as old, if not older than Bengali and down to the commencement of the present century was as copious." এই প্ৰসঙ্গত কোৱা যায় যে, একে জননী-ভাষা সংস্কৃতৰপৰা ওলোৱা বাবে অসমীয়া আৰু বঙ্গলা ভাষা যে বাই-ভনী সেইটো সঁচা কিন্তু দুৰ্ভাগ্যক্ৰমে মাজতে মৰা পৰি আকৌ পুনৰ্জন্ম পোৱা বা ঠন্ ধৰি উঠাৰ পাচৰপৰা ধৰি, বায়েক অসমীয়া ভাষাক আসামপ্ৰবাসী বঙ্গালী বন্ধুসকলে বঙ্গলা ভাষাৰ ভনীয়েক পাতি থি কৈছে সি সমূলি মিছা, তাত যুক্তিৰ সকাৰ নাই।

অসমীয়া ভাষাৰ "অসমীয়া" নাম আধুনিক। পুৰণি কালত এই দেশৰ নাম কামৰূপ আছিল, আৰু এই দেশ-বাসী লোকৰ ভাষাৰ নামো "কামৰূপীয়া ভাষা" আছিল। কিন্তু, এই ভাষাৰ ওপৰত "অসমীয়া" নামৰ অধিকাৰো উপকৰা বুলিব নোৱাৰি; কামৰূপৰ সৌমাৰ পৰ্ব্বতপাৰা আৰম্ভ কৰি এতিয়াৰ গোটেই আসাম উপত্যকাত আৰু

বা আহোমসকলে অসম প্ৰতাপেৰে আধিপত্য বিস্তাৰ কৰাৰ পাচৰপৰা যেতিয়া সিবিলাকৰ নামানুসাৰে এই দেশৰ নাম "অসম" হয়, তেতিয়াৰপৰাই এই দেশৰ প্ৰজাৰ ভাষা "অসমীয়া ভাষা" নামে অভিহিত হয়, সি আজি সাত-শ বছৰৰ আগৰ কথা। আৰু, যদ্যপি "আহোম" বা "অহম" বা "অসম" শব্দৰপৰা অসম দেশ আৰু অসমীয়া ভাষাৰ নাম হৈছে, তথাপি ই আহোম ভাষা নহয়, আহোম ভাষা অসমীয়া ভাষাৰপৰা সম্পূৰ্ণে পৃথক্। আহোমৰাজে দেশ-শাসনৰ সুবিধাৰ্থে নিজৰ ভাষা ৰাজকীয় কাৰ্য্যত নলগাই প্ৰজাৰ এই অসমীয়া ভাষাহে ব্যৱহাৰ কৰিছিল, আহোম ভাষা কেৱল বুৰঞ্জী আৰু ধৰ্ম্মপুথিতহে বৈছিল। তেতিয়াৰেপৰা আহোমসকলেও এই অসমীয়া ভাষাকে মাতৃভাষা বুলি গ্ৰহণ কৰিলে। আৰু, আহোম ৰাজত্বৰ আদিছোৱাৰেপৰা অসমীয়া ভাষা ৰাজ-ভাষা (court language) ৰূপে আদৃত হোৱাত দিনক-দিনে তাৰ শ্ৰীবৃদ্ধি হবলৈ ধৰিলে, এতিয়া সি যি ভেঁটাত থিয় হৈ ৰৈছে, সেই ভেঁটাও এইখিনিতে চোপোৱা হৈছিল। অসমীয়া ভাষাৰ মূলত সংস্কৃতত বাজেও, কামৰূপ বা অসমৰ আদিম অধিবাসীবিলাকৰ ভাষাৰ যি ভাজ লাগিছে বা যিভাগ সোমাইছে, তাৰ গুৰিও এইখিনিতে। কাৰণ, অসমীয়া ভাষা আৰু সাহিত্যৰ গুৰিয়ালক উৎসাহৰ সাৰ দিওঁতা আহোমৰাজে সেই কালত দিগ্বিজয় কৰি ৰাজ্য বিস্তাৰ কৰোঁতে ভালেমান অসমৰ আদিমবাসীৰ লগত সংঘৰ্ষণ ঘটিছিল, সেই ছেগতে "প্ৰজাৰ ভাষা" হৈ সেই-বিলাক জাতিৰ ভাষাৰো ভালেমান শব্দ অসমীয়া ভাষাৰ শব্দাৱলীৰ ভিতৰ সোমায়। যোৱা ৭৫ বছৰমানৰ আগতে ভাষাবিশাৰদ পণ্ডিত ব্ৰাউন চাহাবে অসমীয়া ভাষা বিশ্লেষণ কৰোঁতে ইয়াত শতকৰা ৬৩ টাকৈ সংস্কৃত, ২৩ টাকৈ মিচিমি, ৭ টাকৈ অঁকা, ৫ টাকৈ মান, ১ টাকৈ আবৰ, ১ টাকৈ খামৃতী, এই হিচাপে আৰ্য্য আৰু অনাৰ্য্য ভাষাৰ মূল থকা শব্দ পোৱা গৈছিল। ইয়াৰপৰা কিন্তু জনা যায় যে, অসমীয়া ভাষাত আহোম ভাষাৰ সঁচ মুঠেই নাছিল; মাত্ৰ বুৰঞ্জীমূলক ৰাজকীয় ব্যাপাৰত আৰু আহোমৰ স্বকীয়া সম্বন্ধ বুজোৱা কিছুমান (যেনে, নিচাও-দেও, আপাদেও, পুখাও দেউতা, এনাই দেউতা ইত্যাদি) শব্দ ব্যৱহৃত হৈছিল।

অসমীয়া ভাষাৰ উৎপত্তি বিষয়ে মাথোন ওপৰত অলপ-মান আভাস দিয়া গ'ল। সেই উৎপত্তি কালৰপৰা সি ভাষাৰূপে পৰিচিত হোৱালৈকে, আৰু তাৰ পাচত সি সাহিত্যৰ সাঁচত উঠালৈকে, আকৌ তাৰ পাচতো সি সাহিত্যৰ গঢ় লৈ জিলিকা কালটো ছোৱা-ছোৱাকৈ ফঁহিয়াই তাৰ বিষয়ে আৰু ভালেমান কবলগীয়া আছে। এই বক্তাৰ সুযোগ্য সমনীয়া বন্ধু প্ৰত্নতত্ত্ববিদ্ পণ্ডিত শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীদেৱে অসমীয়া ভাষা আৰু সাহিত্যৰ গোটেই কালটোক তিনিটা যুগত ভগাই ভাগে ভাগে তাৰ সূক্ষ্ম-বিচাৰ কৰি বিশদ ব্যাখ্যা দি থৈছে; কলিকতাৰপৰা ওলোৱা মাহেকীয়া 'জোনাকী'ৰ তৃতীয় ভাগৰ গৌৰৱ বঢ়াই সেই ব্যাখ্যা-বক্তৃতা তাৰ বুকুত জিলিকি আছে। গোস্বামী-দেৱৰ সেই যুগ-বিভাগ আৰু তাৰ বিচাৰব্যাখ্যা এনে পৰি-পাটিকৈ সজাই দেখুৱা হৈছে যে, সেই সম্পৰ্কে আনে কবলৈ আৰু বাকী নাই বুলিলেও বঢ়াই কোৱা নহব। তথাপি, তেওঁৰ 'বৰ্ত্তমান' বা তৃতীয় যুগৰ পাচৰপৰা এতিয়াৰ বৰ্ত্তমান-লৈকে, অৰ্থাৎ খ্ৰীঃ ১৮৯২ চনৰপৰা ১৯১৭ চনলৈকে এই ২৫ বছৰৰ বুৰঞ্জী বিষয়ে মাথোন্ অলপ বঢ়াই কোৱাৰ আৱশ্যক, আৰু সেই আপাহতে অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী গোটেইটো আকৌ এবাৰ লুটিয়াই চাবলগীয়া হৈছে। সেই অৰ্থে তেওঁৰ প্ৰথম যুগটোৰ সামৰণিৰ সময় দুশ বছৰমান পিচুৱাই ধৰি, তাক যোছোৱা কৰিব খোজোঁ। কাৰণ, তেনে কৰাৰপৰা অসমীয়া ভাষাৰ 'অক্ষযুগ' আৰু 'ভাষাযুগ' এই দুটা যুগ পৃথকাই দেখুৱাবলৈ চল লাগিব যেন বিবেচনা কৰোঁ, আৰু তাৰপৰা 'সাহিত্য-যুগ'টো সুকীয়াকৈ ফঁহিয়াই দেখুৱাবলৈকো বেচি সুবিধা হব যেন লাগে, গোস্বামীদেৱৰ বক্তৃতাত বন্ধা যুগ এইকেইটা: যেনে, (১) অসমীয়া ভাষাৰ জন্ম বা উৎপত্তিৰেপৰা খ্ৰীঃ ১৪৪৯ চনত ৺শঙ্কৰদেৱৰ জন্মলৈকে; (২) ৺শঙ্কৰদেৱৰ জন্মৰপৰা খ্ৰীঃ ১৮২৬ চনত বৃটিছ্ ৰাজৰ আগমনলৈ; (৩) বৃটিছ্-ৰাজৰ আগমনৰপৰা খ্ৰীঃ ১৮৯২ চনত তেওঁৰ 'বৰ্ত্তমান'লৈকে। এই বক্তৃতাত ভগাব খোজা মূল এইকেইটা: যেনে, (১) অসমীয়া ভাষাৰ

উৎপত্তিৰপৰা অনুমান খ্ৰীঃ সপ্তম আৰু নৱম শতিকাত 'দীপিকা ছন্দ' আৰু 'ডাকৰ বচন' ওলোৱালৈকে ; (২) দীপিকা-ডাকৰ সময়ৰপৰা খ্ৰীঃ ত্ৰয়োদশ শতিকাত আহোম অভ্যুদয় আৰু ৺মাধৱ কন্দলীৰ উদ্ভৱলৈকে , (৩) আহোম অভ্যুদয়ৰপৰা খ্ৰীঃ পঞ্চদশ শতিকাত ৺শঙ্কৰদেৱৰ আবিৰ্ভাৱ-লৈকে ; (৪) ৺শঙ্কৰদেৱৰ আবিৰ্ভাৱৰপৰা খ্ৰীঃ ১৮১৩ চনত 'মানৰ দিন'লৈকে ; (৫) 'মানৰ দিন'ৰপৰা বৃটিছ্ ৰাজত্বৰ বৰ্ত্তমান খ্ৰীঃ ১৯১৭ চনলৈকে। এতিয়া পাচৰ এই পাঁচোটা যুগ-বিভাগ ভাগে ভাগে ফঁহিয়াই চোৱা যাওক।

(১) অসমীয়া ভাষাৰ অন্ধযুগ : এই যুগৰ ব্যাপ্তি সঠিককৈ কব নোৱাৰি। কাৰণ, অসমীয়া ভাষাৰ উৎপত্তিৰ কাল এতিয়াও ঠিৰাংকৈ নিৰ্ণয়ৰ পৰা হোৱা নাই। অনুমানত, কমপক্ষেও খ্ৰীঃ পূঃ পঞ্চম শতিকাত ইয়াৰ উৎপত্তি ধৰিলে, খ্ৰীঃ পূঃ সপ্তম শতিকালৈকে এই যুগৰ ব্যাপ্তি বাৰ-শ বছৰ বুলি ঠাৱৰাব পাৰি। কিন্তু, পণ্ডিত বেইনৰ মত অনুসৰণ কৰিলে, অতি কম পক্ষেও, এই যুগৰ ব্যাপ্তি ইয়াতকৈ আৰু হাজাৰ বছৰৰ দীঘল হৈ বাঢ়ে। সি যি হওক, এই যুগ অন্ধযুগ , গতিকে ই দীঘল হলেও ইয়াৰ বিষয়ে আমাৰ বক্তব্য চুটি নহৈ নোৱাৰে। মুঠতে, এই যুগৰ আৰম্ভণ আৰু সামৰণৰ বিষয়ে মাথোন উল্লেখকিয়াই থোৱা হ'ল।

(২) অসমীয়া ভাষাৰ ভাষাযুগ : অনুমান খ্ৰীঃ নৱম শতিকাত 'ডাকৰ বচন' পোহৰলৈ ওলায়, আৰু তাৰ দুই শতিকামানৰ আগেয়ে 'দীপিকা ছন্দ'ৰ উদ্ভৱ কোনো কোনোৱে অনুমান কৰে। কিন্তু এই পাচৰটো অনুমানত বহুল মতভেদ আছে , কোনো কোনোৰ মতে দীপিকা ছন্দক খ্ৰীঃ ষোড়শ শতিকালৈহে টানি আনে। সি যি হওক, এই যুগকে অসমীয়া ভাষাৰ ভাষা-যুগ বুলি ধৰা হৈছে, আৰু ইয়াৰ ব্যাপ্তি সাত-শ বছৰমান হব। নিতান্ত পক্ষে, 'দীপিকা' নহলেও, 'ডাক' এই যুগত নিশ্চয় আছে। এই 'ডাকৰ বচন'তে আমি অসমীয়া ভাষাৰ চিন্ ধৰিব পৰা হৈছোঁহক। আদিতে আৰ্য্যৰ আদিশাস্ত্ৰ বেদৰ মৌখিক প্ৰকাৰ দৰে, এই 'ডাকৰ বচন' মৌখিক আছিল। সেই কাৰণেই ইয়াক অসমীয়া সাহিত্যৰ ভিতৰত নধৰি অসমীয়া ভাষাৰ চিন্ বুলি ধৰা হৈছে। আৰু, সেই চিনৰ চানেকি এই একাধিক বচনবোৰপৰা পোৱা যায় : যেনে, "সাতত পাতল, পাঁচত ঘন, ছয়ত তামোল নয়ন-বয়ন"।—কৃষি-প্ৰভৃতি। এই যুগ অন্ধযুগতকৈ অলপ পোহৰ ; কিন্তু সেয়ে বেছি নহয়, আৰু সেই বিষয়ে কবলৈকো সৰহ সময় নাই। মুঠতে ইমানকে মাথোন কোৱা যায় যে, এই যুগৰ অসমীয়া ভাষা আৰু এতিয়াৰ অসমীয়া ভাষাৰ ভিতৰত পাৰ্থক্য বিষম নহয় , সেই ভাষাই যে এই ভাষাৰ জেঠী তাক সহজে পতিয়াব পাৰি।

(৩) অসমীয়া সাহিত্যৰ আদিযুগ : ত্ৰয়োদশ খ্ৰীষ্টাব্দত আহোম অভ্যুদয় আৰু ৺মাধৱ কন্দলীৰ উদ্ভৱৰ লগে লগেই অসমীয়া ভাষা লিপিবদ্ধ হবলৈ ধৰে, আৰু তেতিয়াৰপৰাই অসমীয়া সাহিত্য গঠিত হয় বুলি ধৰিব পাৰি। ওপৰত উল্লেখকিয়াই অহা হৈছে যে, আহোম ৰাজৰ আৰম্ভণিৰেপৰা অসমীয়া ভাষা ৰাজভাষা (court language) ৰূপে গৃহীত হয় , সুতৰাং তেতিয়াৰপৰাই ইয়াৰ সাহিত্য গঠিত হৈছে বুলিলে যুক্তিৰ সীমা ডেই যোৱা নহব। সেই সময়তে ৺মাধৱ কন্দলীয়ে সংস্কৃতৰপৰা ভাঙি অসমীয়াত পদ ৰচনা কৰিছিল। তাৰ চিন ৰামায়ণৰ অযোধ্যা-কাণ্ড আৰু সুন্দৰা-কাণ্ডৰ অসমীয়া ভাঙনি অসমীয়া সাহিত্য-উদ্যানত লখিমী স্বৰূপে জিলিকিব লাগিছে। এনে আমাৰে কবলৈ গলে, মাধৱ কন্দলীকে অসমীয়া সাহিত্যৰ জন্মদাতা আৰু পোন-প্ৰথম উন্নতিৰ বাট লগাওঁতা বুলিব পাৰি। তেওঁৰ খোজৰ চিন্ ধৰিহে ইয়াৰ পাচৰ যুগৰ উজ্জ্বল ৰত্ন ৺শঙ্কৰদেৱে অসমীয়া সাহিত্যক্ষেত্ৰত খোজ ধৰিছিল। তাৰ প্ৰমাণ ৺শঙ্কৰদেৱে ৰচিত ৰামায়ণৰ এই ফাঁকিতে ভালকৈ পোৱা যায় : যেনে, "পূৰ্ব্ব কবি অপ্ৰমাদি, মাধৱ কন্দলী আদি, তেহে বিৰচিলা ৰুক্কথা। তাহান পদক চাই, নিবন্ধিলোঁ পদ আমি * * *" ইত্যাদি। মাধৱ কন্দলীৰ আগেয়ে কোনোবা অসমীয়া লিখক কবি আছিল নে নাই কব নোৱাৰোঁ ; কিন্তু তাৰ চিন্ চানেকি পাবলৈ নাই যদিও, তেওঁৰ আগৰ আৰু সমসাময়িক লেখক আৰু কবিয়েক আছিল বুলি অনুমান হয় ; তাৰ ভিতৰত ৺হেম সৰস্বতীৰ নাম পোৱা গৈছেই। তথাপি, সংস্কৃত জ্ঞান-উদ্যানৰপৰা সুৰুঙ্গ

ধাহি আনি তাৰ অসমীয়া ভাঙনিৰে সৈতে অসমীয়া সাহিত্য-ভঁড়াল পতাৰ বুদ্ধিটি যে মাধৱ কন্দলীৰ মূৰতেই সবাতকৈ আগেয়ে খেলাইছিল, সেই কথা নপতিয়াবলৈ তেওঁৰ পূৰ্ব্ববৰ্ত্তী পুৰুষৰ চিন্-চানেকি আমি এতিয়ালৈকে আগত পোৱা নাই। অসম দেশত জ্ঞানৰ পোহৰ পেলাবলৈ আৰু অসমীয়া জাতিক অজ্ঞান-আন্ধাৰৰপৰা উদ্ধাৰ কৰিবলৈ পোন্-প্ৰথম উত্তম যে মাধৱ কন্দলীৰ, তাক অস্বীকাৰ কৰিবলৈকো আমাৰ হাতত বা বুৰঞ্জীৰ পাতত তাৰ বিৰুদ্ধ মতৰ চিন্ এতিয়ালৈকে একো নাই। ৺মাধৱ কন্দলীৰ হাতে-গঢ়া অসমীয়া সাহিত্য পদ্যময় আছিল, গদ্যত তেওঁৰ হাত লগাৰ চিন্ আমি পোৱা নাই। কিন্তু, সেই সময়তে বা তাৰ কিছুকালৰ আগতে যে অসমীয়া সাহিত্য গদ্যৰ সাঁচতো উঠিছিল, তাত সন্দেহ নাই। কাৰণ, আহোম ৰাজত্বৰ আদি ছোৱাতেই সি ৰাজভাষা (court language) ৰূপে গৃহীত হৈছিল, গতিকে ৰাজকীয় কাৰ্য্যত অৱশ্যে তাৰ প্ৰচলন নোহোৱাকৈ থকা নাই। আশা কৰোঁ, প্ৰত্নতত্ত্ববিদ্‌সকলৰ অনুগ্ৰহত আমি এই যুগৰ অসমীয়া সাহিত্যৰ গদ্য-চানেকি সোনকালে দেখিবলৈ পাম্ঁহক। এই যুগৰ ব্যাপ্তি খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ-পৰা পঞ্চদশ শতিকালৈ তিনি-শ বছৰমান হব।

(৪) অসমীয়া সাহিত্যৰ মধ্যযুগ : এই যুগকে অসমীয়া সাহিত্যৰ পোহৰ যুগ বুলিব লাগে। ইয়াৰ ব্যাপ্তি খ্ৰীঃ শতিকা পোন্ধৰৰপৰা উনৈছলৈকে চাৰি-শ বছৰমান হব। এই যুগতে অসমীয়া সাহিত্যই পূৰ্ণ-শ্ৰী ধৰি জগতৰ সাহিত্য-গগনত এটি অতি উজ্জ্বল নক্ষত্ৰৰ দীপ্তিৰে দীপ্তিমান হৈছিল। ক্ষণজন্মা মহাপুৰুষ ৺শঙ্কৰদেৱৰ উদ্ভৱেই এই যুগত অসমীয়া সাহিত্যৰ অসাধাৰণ শ্ৰীবৃদ্ধিৰ আচল কাৰণ। ঈশ্বৰৰ ইচ্ছাত যি মহৎ উদ্দেশে পৃথিৱীত মহাপুৰুষসকলৰ উদ্ভৱ হয়, মহাপুৰুষ শঙ্কৰদেৱৰ উদ্ভৱতো সেই মহান্ উদ্দেশ্য বিৰাজমান। ৺শঙ্কৰৰ অৱতাৰী আবিৰ্ভাৱৰ আগলৈকে অসমীয়া সমাজ জ্ঞানধৰ্ম্মবিবৰ্জ্জিত আৰু নৈতিক বলবিহীন হৈ একেবাৰে অধঃপাতে গৈছিল। জ্ঞানৰ অভাৱ, ধৰ্ম্ম-বিশ্বাসত কুসংস্কাৰ, নীতি-আচাৰাদিৰ বান্ধ-ঢিলা ইত্যাদি হীনতাৰ দোষত কলুষিত হৈ অসমীয়া জাতীয় জীৱনে মৰ-শ্ৰী ধৰিছিল। এনে পতিত অৱস্থাৰপৰা অসমীয়া জাতিক উদ্ধাৰ কৰাৰ মানসে ভগৱন্তে যথাসময়ত মহাপুৰুষ ৺শঙ্কৰদেৱৰ "সম্ভৱ" ঘটায়। শ্ৰীশঙ্কৰদেৱে স্বীয় অলৌকিক প্ৰতিভাৰ পোহৰত কটকটীয়াকৈ দেখিলে যে, এই পতিত জাতিটোক উদ্ধাৰ কৰিবলৈ হলে, তাৰ ধৰ্ম্ম, সমাজ আৰু সাহিত্যৰ সম্বন্ধ একেডালি সূতাৰে এনেভাৱে গাঁথিব লাগিব যাতে জ্ঞানৰ পোহৰ নাপাই আন্ধাৰত খেপিয়াই ফুৰা অসমীয়া জনসাধাৰণে এটাক ধৰি আনটোক এৰিব নোৱাৰা হয়। সেই উদ্দেশ্যে শঙ্কৰদেৱে ধৰ্ম্মৰ মোহিনী মন্ত্ৰেৰে জাৰি এটি অভিনৱ অসমীয়া সাহিত্য গঢ়িবলৈ সঙ্কল্প কৰিলে। এই সম্পৰ্কত উপকৰাকৈ চালে, শঙ্কৰদেৱে ইউৰোপৰ আৰ্হি লোৱা যেন লাগি যায়। ইউৰোপৰ বৰ্ত্তমান উন্নত সাহিত্য বিলাক যেনেকৈ পোনতে ধৰ্ম্মৰ সাঁচত মৰা হৈছিল, শঙ্কৰীয়া অসমীয়া সাহিত্যও ঠিক সেইদৰেই ধৰ্ম্মৰ সাঁচত উঠিছিল। কিন্তু আচৰিত এইহে যে, অসমীয়া ধৰ্ম্ম, সমাজ আৰু সাহিত্যৰ সংস্কাৰক মহাপুৰুষ শঙ্কৰদেৱে ইউৰোপ পৰ্য্যটনলৈকো ওলোৱা নাই, আৰু ইউৰোপীয় গ্ৰন্থাদিৰ সাহায্যত তাৰ চানেকি লবলৈকো তেওঁ ইউৰোপীয় ভাষা সমূলি নাজানিছিল। ইয়াৰপৰা এইটো আপুনি ঠাৱৰ হৈ উঠে যে, ঈশ্বৰপ্ৰেৰিত মহাপুৰুষসকলৰ বুদ্ধি-বৃত্তি আৰু কাৰ্য্যকৌশল একে আবেশেৰে বিকাশ পায়, তেহেলৈ সিবিলাক যিমানেই কি নেদেখা-নুশুনা নিলগৰ হওক। শঙ্কৰদেৱে অপূৰ্ব্ব কৌশলেৰে এহাতে ধৰ্ম্ম আৰু ইহাতে সাহিত্যক সাৰথি ধৰি সমাজ গঢ়িবলৈ আগ বাঢ়িলে। তেওঁ সামাজিক কু-সংস্কাৰৰ আন্ধাৰ মাজেদি স্বীয় প্ৰতিভাৰ প্ৰভাৱেৰে জিলিকি ক্ৰমাৎ আগুৱাবলৈ ধৰিলে। তেওঁ বহু পুৰুষাৰ্থেৰে হিন্দুৰ সংস্কৃত শাস্ত্ৰৰপৰা সাৰ সংগ্ৰহ কৰি অসমীয়াত সুললিত পদ ৰচনা কৰিবলৈ ধৰিলে। আৰু, সেই পদ ৰচনাৰে সৈতে অসমীয়া সমাজক মুহিব পৰাকৈ শ্ৰীশঙ্কৰে ভাগৱতী ধৰ্ম্মৰ মূলশাস্ত্ৰ 'কীৰ্ত্তন পুথি' ৰচনা কৰি প্ৰচাৰ কৰিলে। অকল সেয়ে নহয়, হিন্দু ধৰ্ম্মৰ গুপ্ত ভাব-বিলাক আৰু পৌৰাণিক সমাজৰ আদৰ্শ চৰিত্ৰৰ চিত্ৰবিলাক পতিত অসমীয়া সমাজে মণিব পৰাকৈ পোহৰাই ধৰি তেওঁ নাট ৰচনা কৰিবলৈকো আগ বাঢ়িলে। কলিতাৰ্থত,

৺শঙ্কৰদেৱৰ ৰচিত 'কীৰ্ত্তন-ঘোষা'হি পাঠ কৰি, আৰু 'ৰুক্মিণী-হৰণ', 'পাৰিজাত-হৰণ', 'সীতা-স্বয়ম্বৰ' আদি নাটৰ ভাওনা কৰি অসমীয়া জনসাধাৰণে সমাজবদ্ধ হৈ আকৌ জাতীয় জীৱন লাভ কৰিলে; তাৰ আগে আগে অসমীয়া সাহিত্যও অতৰ্কিতভাৱে সুগঠিত হৈ উঠিল। এই যুগতে ৺শঙ্কৰদেৱৰ সমসাময়িক লেখক ৺মাধৱদেৱ, ৺অনন্তকন্দলী, ৺ৰামসৰস্বতী আদি আৰু জনচেৰেক প্ৰতিভাশালী সাহিত্যিক মহাপুৰুষৰ 'ঘোষা', 'ভক্তিৰত্নাৱলী', 'ৰামায়ণ', 'মহাভাৰত' আদি গ্ৰন্থৰত্নই অসমীয়া সাহিত্যক ৰব ৰূপহ আৰু উন্নত কৰি তুলিলে। এইসকলৰ সাহিত্যিক কাৰ্য্য-কলাপৰ বিষয়ে আভাস মাত্ৰ দিবলৈ হলেও এটা সুকীয়া বক্তৃতাৰ ঠাই আৰু সময় লাগিব। এইখিনিতে আৰু এটা কথালৈ মন কৰিব লগীয়া যে, অসমীয়া সাহিত্যৰ আদি-যুগত যিদৰে অসমৰ দাঁতি-কাষৰীয়া আদিম জাতিবিলাকৰ ভাষা-দোৱানৰপৰা শব্দ সোমাই অসমীয়া সাহিত্যৰ শব্দা-বলীক ধেৰেলুৱা কৰিছিল, মধ্যযুগত তেনেকৈ ভাৰতবৰ্ষৰ আন প্ৰাদেশিক ভাষাৰপৰা বাছনি-শব্দ সোমাই সাহিত্যৰ শব্দাৱলী শুৱনী আৰু চহকী কৰিছিল। প্ৰথমটোৰ কাৰণ ইয়াৰ আগেয়েই উন্নুকিয়াই অহা হৈছে যে, আহোমসকলে দিগ্বিজয় কৰি ৰাজ্য বিস্তাৰ কৰোঁতে অসমৰ আদিম অধি-বাসীবিলাকেৰে সৈতে ঘনিষ্ঠ সম্বন্ধ ৰাখিব লগা হোৱাত সিহঁতৰ দোৱানৰপৰাও অসমীয়া ভাষাত কিছুমান শব্দ সোমাল, দ্বিতীয়টোৰ কাৰণ হৈছে, ৺শঙ্কৰদেৱ প্ৰমুখ্যে এই যুগৰ বুদ্ধিমন্ত, সুদূৰদৰ্শী আৰু প্ৰতিভাশালী কবি-সাহিত্যিকসকলে, পুৰী, গঙ্গা, গয়া, কাশী, মথুৰা, প্ৰয়াগ প্ৰভৃতি তীৰ্থভ্ৰমণৰ পাচত উড়িয়া, ব্ৰজবুলি, মৈথিলী প্ৰভৃতি ভাষাৰপৰা পদৰ উপযোগী সংস্কৃতমূলক বছা-বছা শুৱলা শব্দ ভালেমান আনি অসমীয়া শব্দাৱলীত সুমুৱাইছিলহি। ফলত, ইয়াৰপৰা আমাৰ সাহিত্যৰ অপকাৰ নহৈ যে বিশেষ উপকাৰহে হৈছিল এতিয়া তাৰ চিন্ পোৱা গৈছে। ইয়াৰ কাৰণ ওপৰৰ এঠাইত উন্নুকিয়াই অহা হৈছে যে, ব্যাক-ৰণতহে ভাষা আৰু সাহিত্যৰ বিশেষত্ব ৰয়, বাক্যাৱলী বা বিভাষী শব্দই কোনো জীয়া ভাষাৰ ওপৰত বল কৰিব নোৱাৰে। অসমীয়া সাহিত্যত সেই কথা নিখুঁতকৈ খাটিছে। মহা প্ৰতিভাশালী লেখক ৺শঙ্কৰদেৱৰ সুকৌশলী কাপ-নৰণিয়ে সেই বিভাষী শব্দ, বচন-ভঙ্গী আৰু শব্দাৱলী অসমীয়া সাহিত্যত এনে নিমজকৈ খাজ খুৱাই খাপিলে যে, সোণত সুৱগাৰ দৰে, অসমীয়া সুৰত সি একেবাৰে বজিতা খাই মিলি গ'ল; তাৰ গুণত অসমীয়া পদত একেবিও ঘূণ্ নালাগি তাৰ লালিত্যহে বাঢ়িল। ইয়াৰ বাবা শঙ্কৰ-সুৰীয়া সাহিত্যিকসকলে ইয়াকো প্ৰমাণ কৰি দেখুৱালে যে অসমীয়া সাহিত্য এনে স্বতন্ত্ৰ আৰু শিৰফুটা যে, তাত পাচিয়ে-পাচিয়ে বিভাষী শব্দ আৰু বচন-ভঙ্গী সোমালো তাক ওঁজুৱা কৰিব নোৱাৰিলে। এই সভাষণৰ আদি-ছোৱাতে কৈ অহা হৈছে যে, ভাৰতকৈ ভাষা সদায় এখোজ আগ; আৰু সাহিত্যই ধৰ্ম সমাজৰ বাট লগায়। সেই কথাও অসমীয়া সাহিত্যৰ এই থাপিতে খাই পৰিছে। শঙ্কৰীয়া সাহিত্যই অসমীয়া জনসাধাৰণৰ অন্তৰত কেনেকৈ ধৰ্মৰ পৱিত্ৰ প্ৰভাৱ সুমুৱালে, কেনেকৈ এই পতিত জাতি-টোক সমাজবান্ধ দি তাৰে সৈতে অসমীয়া জীৱন গঢ়িলে, তাক ভাঙি-পাতি বুজাবলৈ গলে, আন প্ৰসঙ্গত আন এটা সুকীয়া বক্তৃতাৰ ছেগ লাগিব। গতিকে এই যুগৰ কথা চমুকৈ ইমানতে এৰি মুঠতে কোৱা যায় যে, এয়ে অসমীয়া সাহিত্যৰ আটাইতকৈ উজ্জ্বল যুগ, এই যুগতে অসমীয়া সাহিত্যে উন্নতিৰ মূধ চুইছিলগৈ, এইখিনিতে অসমীয়া সাহিত্যৰ অস্তিত্ব অভগন হয়। তাৰ চিন্ ইয়াৰ পাচৰ যুগৰ বৰ্ণনাত আকৌ ওলাবগৈ। অসমীয়া সাহিত্যই এনে উন্নতি লভি তাৰ মুখ্য উদ্দেশ্য সমাজ-বন্ধন আৰু জাতীয় জীৱন সংগঠন কাৰ্য্যত কৃতকাৰ্য্য হোৱাৰ বাবে ৺শঙ্কৰদেৱ, ৺মাধৱদেৱ, ৺অনন্তকন্দলী, ৺ৰামসৰস্বতী আদি মধ্যযুগৰ উজ্জ্বল সাহিত্যিক মহাপুৰুষসকলৰ ওচৰত অসমীয়া জাতি জীয়াই থাকেমানে কৃতজ্ঞ থাকিব, যদ্যপি সিবিলাকৰো পথ-প্ৰদৰ্শক, অসমীয়া সাহিত্যৰ আচল জন্মদাতা আৰু আদি-যুগৰ নামজলা লেখক ৺মাধৱ কন্দলীয়ে সেই কৃতজ্ঞতাৰ আগভাগ আগ নবঢ়াই নোৱাৰি।

সঙ্গীত কাব্যালঙ্কাৰৰ এটা প্ৰধান সৰল। গতিকে, সাহিত্যক সবল কৰিবলৈ ই যে সামান্য বল এনে নহয়। বিশেষতঃ, সমাজক মুক্ত কৰি সজবাট লগোৱাত জাতীয়

সঙ্গীতে আচৰিত গুণ দিয়ে। অসমীয়া ভাষাত সঙ্গীতৰ প্ৰথম স্ফূৰ্ত্তি আৰু চূড়ান্ত উন্নতি এই মধ্যযুগতে হয়। ৺শঙ্কৰ-মাধৱে বৰগীত ৰচনা কৰাৰ আগেয়ে অসমীয়া সাহিত্যত সঙ্গীত নাছিল বুলিলে তেনেই আশই-মতা নহব। এই বিষয়ত শঙ্কৰদেৱতকৈ মাধৱদেৱৰহে অধিকাৰ অধিক আছিল। "বৰগীত" বিশ্লেষণৰপৰা জনা যায় যে, বাৰকুৰি বৰগীতৰ ভিতৰত ৩০ ডেৰকুৰিহে শঙ্কৰদেৱৰ; বাকী ২১০ দহকুৰি দহোটা মাধৱদেৱৰ। গীতৰ লেখ এৰি, তাৰ ৰচনাৰ পাৰ্থক্য-বিচাৰত দেখা যায় যে, শঙ্কৰৰ ৰচনা লালিত্য-প্ৰধান আৰু মাধৱৰ ৰচনা গাম্ভীৰ্য্য-প্ৰধান। এই বিষয়ে সৰহ কথা নোচোৱাই দুইৰো দুটি গীতৰপৰা দুফাকিমানকৈ টুকি দেখুৱালেই আপোনাসকলে তাৰ মোল পাব। যেনে,

(১)

ৰাগ—আশোৱাৰী

"জগজন জীৱন অজন জনাৰ্দ্দন
দনুজ দমন দুখহাৰী।
মহদানন্দ কন্দ পৰমানন্দ
নন্দ নন্দন বনচাৰী।" ইত্যাদি।
—শঙ্কৰদেৱ।

(২)

"জয় জয় ৰাম ৰাঘৱ ৰঘুকুলপঙ্কজ
দিনকৰ ৰাম মুৰাৰি।
যো পদ কমল সুৰাসুৰে সেৱত
সকল ভুবন অধিকাৰী॥" ইত্যাদি
—মাধৱদেৱ।

এইবিলাক বৰগীত অসমীয়া সাহিত্যৰ স্বকীয়া সম্পত্তি। ইয়াত অন্য সাহিত্যৰ দাবী নৰজে। কিন্তু বৰ পৰিতাপৰ বিষয় যে, আজিকালি সঙ্গীত-চৰ্চ্চা অসমীয়া সাহিত্যত নোহোৱা হৈছে, আৰু বৰগীতত পাকৈত লোকৰ লেখো টুটি আহিছে। বছৰচেৰেকৰ আগতে এই বক্তাই তেওঁৰ সুযোগ্য বন্ধু শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী আৰু শ্ৰীযুত ৰাধানাথ ফুকন প্ৰমুখ্যে জনদিয়েক অসমীয়া সাহিত্যানুৰাগী পুৰুষৰে লগলাগি, "তেজপুৰ অসমীয়া ভাষাৰ উন্নতি-সাধিনী সভা"ৰ সম্পাদক থাকোঁতে, বৰগীত উদ্ধাৰৰ অৰ্থে বহু পুৰুষাৰ্থ কৰিছিল; কিন্তু নানা অসুবিধা হেতুকে সিবিলাকৰ সেই যত্ন সফল হবলৈ নাপালে। তাৰ বছৰচেৰেকৰ পাচত, এই বক্তাৰ অন্যতম প্ৰিয়-বন্ধু ৺শ্ৰীলক্ষ্মীৰাম বৰুৱাদেৱৰ উদ্যমত নতুন আৰু পুৰণি "গান" আৰু "গীত"ৰ 'যি অলপ চৰ্চ্চা আকৌ হবলৈ ধৰিছিল, সিও তেওঁৰ অকাল-বিয়োগ হেতুকে অকালতে মাৰ গল! এতিয়া অসমীয়া সঙ্গীতৰ চৰ্চ্চা লোপ পাবলৈ ধৰিছে বুলিলে, বোধ কৰোঁ, সত্যৰ মৰ্য্যাদা হানি নহব। এতেকে, শঙ্কৰীয়া যুগতে যে অসমীয়া সাহিত্যৰ সঙ্গীতৰো চূড়ান্ত উন্নতি, আৰু শঙ্কৰ-মাধৱৰ তিৰোভাৱৰ পাচৰপৰা তাৰ ক্ৰমাৎ অৱনতি, এই কথা এতিয়া স্বীকাৰ নকৰিলে নহব, কিন্তু এই ক্ৰটী-স্বীকাৰ যেন আমালৈ আৰু সৰহ দিনৰ নিমিত্তে নাথাকে, এই বাঞ্ছা।

(৫) অসমীয়া সাহিত্যৰ বৰ্ত্তমান যুগ: অসমীয়া সাহিত্যিকসকলে এই যুগৰ আৰম্ভণ ১৮২৬ খ্ৰীষ্টাব্দত অসমত বৃটিছ ৰাজত্বৰ আৰম্ভণ হোৱাৰপৰা ধৰে। কিন্তু, প্ৰকৃত-পক্ষে ইয়াক আৰু দহবছৰমানলৈ উজাই নি, ১৮১৬ খ্ৰীষ্টাব্দত "মানৰ দিন" আৰম্ভ হোৱাৰপৰাহে ধৰিবলগীয়া। মানৰ দিনৰ উপদ্ৰৱত অসমদেশ ছাৰখাৰ হোৱাৰ লগে লগে অসমীয়া সমাজ ভাগি ঠান্ ঠান্ হ'ল, অসমীয়া সাহিত্য-ভঁড়ালত জুই লাগিল, অসমীয়া জাতীয় জীৱন-গছ উভলি পৰিল। এইখিনিতে অসমীয়া সাহিত্যৰ মধ্য বা শঙ্কৰীয়া যুগৰ অকাল-অৱসান ঘটিল। খ্ৰীঃ ১৮১৬ চনৰপৰা ১৮২৬ চনলৈকে এই দহ বছৰত অসমীয়া সাহিত্যৰ একেবাৰে মৰামুছা অৱস্থা। এনে অৱস্থাত, খ্ৰীঃ ১৮২৬ চনত, ইয়াণ্ডাবু সন্ধিমতে, বৃটিছ ৰাজে "মানৰ দিন"ৰ অন্ত পেলাই যেতিয়া "অসম উদ্ধাৰ" কৰিলে, তেতিয়া অসমীয়া সাহিত্যই আকৌ চেতনা পাইছিল যদিও, গা টঙাই উঠিব পৰা নাছিল। তথাপি, বৃটিছ ৰাজে দয়া কৰি অসমীয়া সাহিত্যক সজীৱ আৰু সতেজ ৰাখিবলৈ যত্নৰ ক্ৰটী কৰা নাছিল; গৱৰ্ণমেণ্টে বিবিধ ব্যৱস্থাৰে লৈতে ইয়াৰ উন্নতি বিধান কৰাৰ উপৰি ইয়াক ৰাজভাষা (court language) কৰি ইয়াৰ শ্ৰীবৃদ্ধিলৈ বাট সুগম কৰি দিলে। কিন্তু, এনেতে এজন স্বাৰ্থপৰ অসমপ্ৰবাসী বঙালীয়ে অসমীয়া ভাষা আৰু সাহিত্যৰ

উন্নতিৰ আগত ভেটা মা'ৰ ধৰিলে। সিবিলাক চৰকাৰি চাকৰিপ্ৰত্যাশী লোক; গতিকে অসমীয়া ভাষা ৰাজভাষা হৈ টিকিব লাগিলে সিবিলাকৰ স্বাৰ্থত বিঘিনি ঘটে আৰু ভৱিষ্যত আন্ধাৰ হয়। সেই কাৰণে, অসমীয়া ভাষাৰ স্বকীয়া সাহিত্য নাই, ই বঙ্গলা ভাষাৰ অপভ্ৰংশ মাথোন ইত্যাদি ঠগ্‌বুজনিবে সৈতে সিবিলাকে সেই কালৰ বৃটিছ্ ৰাজকৰ্মচাৰীসকলক ভুৱা দি অসমীয়া ভাষাৰ ঠাইত বঙ্গলা ভাষাক ৰাজভাষা কৰাই ললে, আৰু পঢ়াশালিতো বঙ্গলা সাহিত্যক অধিকাৰ দিয়ালে। তাৰ ফলত অসমীয়া ভাষাই দহবছৰ মাথোন বৃটিছ্ ৰাজৰ আদৰ পোৱাৰ পাচত, ১৮৩৬ খ্ৰীষ্টাব্দত সি আকৌ এৰা পৰিল। তেতিয়াৰেপৰা ১৮৭১ খ্ৰীষ্টাব্দত বঙ্গপ্ৰদেশৰ ছুৱলীয়া লাট মহাত্মা চাৰ জৰ্জ কেম্বেল চাহাব বাহাদুৰে দয়া কৰি বঙ্গলা ভাষাৰ ঠাইত আকৌ অসমীয়া ভাষাক ৰাজভাষা (court language) পাতি আদালত আৰু পঢ়াশালিত ঠাই দিয়ালৈকে এই ৩৫ বছৰ কাল বঙ্গলা ভাষাই অসমত একাধিপত্য কৰে, আৰু তাৰ হেঁচাত অসমীয়া সাহিত্যৰ অস্তিত্ব হেৰাব লগীয়া হয়। কেম্বেল-কৃপা লাভ কৰাৰ পাচতো বঙ্গলা সাহিত্যে বে-দখল কৰা ঠাই সম্পূৰ্ণকৈ একেবাৰে লৰলৈ অসমীয়া সাহিত্যক আৰু ভালেমান দিন লাগিল। খ্ৰী: ১৯০৩ চনত, ভূতপূৰ্ব্ব আসামৰ চীফ কমিচনাৰ আৰু পাচত "পূৰ্ব্ববঙ্গ আৰু আসাম" প্ৰদেশৰ ছুৱলীয়া লাট মহাত্মা চাৰ বেম্‌ফিল্ড ফুলাৰ বাহাদুৰৰ কৃপাতহে সেই কাৰ্য্য সমাধা হৈ উঠে; তাৰ আগলৈকে ৩২ বছৰ কাল অসমীয়া আৰু বঙ্গলা ভাষাৰ ভিতৰত অস্তিত্বৰ স্বকীয়াত্ব লৈ তমাময়া তৰ্ক-যুদ্ধত পাৰ হয়। এই ভাষা-যুদ্ধত বঙ্গলা ভাষাৰ ফলীয়া দলৰ মৰিও-মৰকামোৰ-নেৰা লেকেতীয়া আক্ৰমণ, আৰু অসমীয়া ভাষাৰ ফলীয়া দলৰ আত্মৰক্ষাৰ্থে কৰা অহো-পুৰুষাৰ্থৰ বিষয়ে বিৱৰি কৰলৈ গলে, সিও এটা স্বকীয়া বক্তৃতা হয়। তথাপি, তাৰ ঘাই ঘাই গোটাচেৰেক কথা ছুন্নকিয়ালে নহয় কাৰণে, তাৰ আভাস মাথোন দিবলৈ আগ বাঢ়িলো।

অসমীয়া সাহিত্যৰ বৰ্ত্তমান যুগৰ খ্ৰী: ১৮১৬ চনৰপৰা ১৯০৩, এই চনলৈকে ৮৭ বছৰ তাৰ মহা আপদৰ কাল বুলি ধৰিব লগীয়া। তাৰ ভিতৰত ১৮৩৬ চনৰপৰা ১৮৭১ চনলৈকে এই ৩৫ বছৰ কালত অসমীয়া সাহিত্যৰ একেবাৰে মৰামুহা অৱস্থা; আৰু তাৰপৰা ১৯০৩ চনলৈকে এই ৩২ বছৰ কাল সি তাৰকৈ কঁকাল পোনাব নোৱাৰা ভাবেই কটাব লগীয়াত পৰে। ধৰিবলৈ গলে, যোৱা তৈধা বছৰ মাথোন অসমীয়া ভাষা আৰু সাহিত্যই অশেষ অপায়-অমঙ্গলৰ হাত সাৰি উশাহ লব পৰা সময় পাব হৈছে। এই আপদৰ কালৰ প্ৰথম ৩৫ বছৰৰ ভিতৰত ঈশ্বৰ-প্ৰেৰিত দূত স্বৰূপ আমেৰিকা দেশীয় খ্ৰীষ্টান ধৰ্ম-প্ৰচাৰক পাদ্ৰী চাহাবসকল ১৮৩৮ খ্ৰীষ্টাব্দত অসমীয়া সাহিত্যৰ আপদৰ বন্ধু হৈ অসমত উপস্থিত হয়হি। সিবিলাকে নিজ ধৰ্ম প্ৰচাৰৰ সুচনাৰ্থে অসমীয়া ভাষালৈ বাইবেল ধৰ্মশাস্ত্ৰ ভঙাই খনচেৰেক সৰু-বৰ ধৰ্ম-গ্ৰন্থাদি প্ৰচাৰ কৰি, আৰু, ১৮৪৭ খ্ৰীষ্টাব্দত অসমৰ সৰ্ব্বপ্ৰথম মাহেকীয়া আলোচনী আৰু বাতৰি কাকত 'অৰুণোদয়' উলিয়াই অসমীয়া সাহিত্যৰ চমাৱলৈ ধৰা বস্তিৰ শলিতাৰ গুৰিত এবেহী-দুবেহীকৈ সঞ্জীৱনী তেল যোগাবলৈ ধৰিলে। তাত বাজে, আদি-শিক্ষাৰ উপযোগী কিতাপ খনদিয়েকো অসমীয়া ভাষাত শিৱসাগৰৰ মিচনাৰী মুদ্ৰাযন্ত্ৰৰপৰা প্ৰকাশিত হয়; তাৰ ভিতৰত ১৮৪০ খ্ৰীষ্টাব্দত প্ৰচাৰ হোৱা 'ৰবিন্‌চন্ অসমীয়া ব্যাকৰণ', 'পথিলা-কিতাপ'. 'গণনাৰ কিতাপ' (১ম আৰু ২য় ভাগ), এইকেইখনৰ নাম লব লগীয়া। কেইওখনি কিতাপ অসমীয়া সাহিত্যৰ স্বকীয়া সাঁচত উঠা। কিতাপ কেইখনি বৰ্ত্তমান যুগৰ অসমীয়া সাহিত্যৰ আদিছোৱাৰ ফট্‌ফটীয়া চানেকী। তেতিয়া গণিত-শিক্ষাৰ শিকাৰ ঠগ্ কেনে সুকীয়া আৰু কোমল বয়সীয়া ছাত্ৰৰ মনোৰঞ্জক আছিল, তাৰ চানেকী স্বৰূপ সেই সচিত্ৰ 'গণনাৰ কিতাপ'ৰ বিবিধ প্ৰশ্নাৱলীৰপৰা এটি প্ৰশ্ন আপোনাসকলৰ আগত দাঙি ধৰো, যেনে: "শতসেৰ মধু দেখি গুজৰি উবাই, পাঁচ দিনে ভোমোৰাই তেৰ-বাতি খায়, কতনা বছৰে খাই অন্ত কৰিবাক পাৰে, গণি বুজিমন্তে কলি মোহাৰে।" আৰু এটি চাওক,: "এক গৃহস্থৰ বেজেলোবাৰী, বাৰীত আছে লক্ষ শাৰী, শাৰীত লাগে হেজাৰ ছুৰি, বেজেলা বেছে পাই কৰি • • • • ইত্যাদি।" প্ৰশ্ন-শ্ৰীৰুদ্ৰিৰ

কেনে সুন্দৰ প্ৰণালী!' ভাষাৰ কেনে মনমোহা ঠগ্! অকল সেয়ে নহয়, এই 'গণনা-কিতাপ' দুভাগ সচিত্ৰ আছিল; তাৰ প্ৰথম ভাগত সুন্দৰ আৰু পৰিপাটি "কিণ্ডাৰগাৰ্টেন" শিক্ষাৰ আৰ্হি আছিল, যি আৰ্হি বৰ্ত্তমান শিক্ষা-প্ৰণালীৰ অতি উন্নত আদৰ্শ। গদ্যৰ প্ৰশ্নবিলাকৰ ভাষাতো সুকীয়া সুৰ আৰু লালিত্যৰ অভাৱ নাই। সৰু সৰু কিতাপত বাজেও, ১৮৬৮ খ্ৰীষ্টাব্দত সাহিত্য বিশাৰদ পণ্ডিত ব্ৰন্সন্ চাহাবে অসমীয়াৰপৰা অসমীয়া আৰু ইংৰাজী অভিধান এখন সংগ্ৰহ কৰি প্ৰচাৰ কৰে। তাৰ আগেয়ে ১৮৩৯ খ্ৰীষ্টাব্দতে ৺যাদুৰাম ডেকীবৰুৱাই অসমীয়াৰপৰা বঙ্গলা অভিধান এখন গোটাই গৱৰ্ণমেণ্টক শোধাইছিল, সি ছপা হৈ নোলাল যদিও, তাকে গঁড়িলা লৈ ব্ৰন্সন চাহাবে তেওঁৰখন অভিধান যুগুত কৰি উলিয়াই অসমীয়া সাহিত্যৰ শব্দাৱলী যুগমীয়া কৰি তোলে। অকল ইমানেইও নহয়, অসমীয়া ভাষা যে অসমীয়া প্ৰজাৰ স্বতন্ত্ৰবীয়া ভাষা, আৰু এই ভাষাৰ সাহিত্যৰ উন্নতিৰেহে যে অসমীয়া জাতিৰ উন্নতি সাধিব পাৰি, এই বিষয় বিশদকৈ বুজাই, অসমৰ আদালত আৰু পঢ়াশালিবিলাকৰ পৰা বঙ্গলা গুচাই তাৰ ঠাইত অসমীয়া সাহিত্যক পুন' ঠাই দিয়াবৰ নিমিত্তে গৱৰ্ণমেণ্টক নানা প্ৰসঙ্গত আবেদন-নিবেদন জনাবলৈকো পাদ্ৰীসকলে বাকী এৰা নাছিল। এইদৰেই পৰোপকাৰী আমেৰিকা দেশীয় খ্ৰীষ্টান মিচনাৰী ছোচাইটিৰ সভ্যসকলে অসমীয়া ভাষা আৰু সাহিত্যৰ যি মহৎ উপকাৰ কৰিলে তাৰ গুণ কৈ অন্ত কৰিব নোৱাৰি।

পাদ্ৰী চাহাবসকলৰ সবল সহানুভূতিৰ বল পাই সেই কালৰ স্বদেশানুৰাগী ডেকা অসমীয়া জনদিয়েকেও মাতৃ-ভাষা আৰু জাতীয় সাহিত্যক আপদৰপৰা উদ্ধাৰ কৰিবলৈ একান্ত মনেৰে লাগি গ'ল। সেই ডেকাদলৰ ভিতৰত ৺আনন্দৰাম ঢেকিয়াল ফুকন আটাইতকৈ আগ। ৺ফুকনে পাদ্ৰীসকলৰ লগত বল দিয়াৰ উপৰিও, ১৮৪৯ খ্ৰীষ্টাব্দত 'অসমীয়া ল'ৰাৰ মিত্ৰ' নামেৰে দুখন পঢ়াশলীয়া কিতাপ, আৰু ১৮৫৫ খ্ৰীষ্টাব্দত 'A few remarks on the Assamese language and vernacular education' নামে এখন ইংৰাজী কিতাপ সুকীয়াকৈ লিখি অসমীয়া সাহিত্যৰ স্বতন্ত্ৰবীয়া অস্তিত্ব ভাঠি প্ৰমাণ কৰে। তেওঁৰ পাচতে ৺হেমচন্দ্ৰ বৰুৱা আৰু ৺গুণাভিৰাম বৰুৱা এই দুজন প্ৰবীণ অসমীয়া সাহিত্যিকৰ নাম লবলগীয়া। এই স্বনাম-খ্যাত সাহিত্যিক দুজনাৰ চিনাকি আপোনাসকলক দিয়াৰ প্ৰয়োজন নাই, অসমীয়া সাহিত্যৰ হৈ সিবিলাকে যি কৰি থৈ গৈছে, তাক বিবৰি কবলৈ গলে, সি বহুত। ৺হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ'ৰ নিচিনা কীৰ্ত্তি-স্তম্ভ জিলিকি থকাৰ স্থলত তেওঁৰ গুণৰ বিষয়ে বঢ়াই আৰু কি কব লাগিছে! তথাপি, এই দুজন সাহিত্যিক নেতাৰ বিষয়ে দু-আষাৰ ইমানকে কৈ যাওঁ যে, অসমীয়া সাহিত্য-ক্ষেত্ৰত ইবিলাক দুয়ো দুখন সুকীয়া স্কুলৰ দৰে আছিল, এখনত (হেমচন্দ্ৰ বৰুৱা) খাচ অসমীয়া আৰু ইখনত (গুণাভিৰাম বৰুৱা) সংস্কৃতীয়া শব্দ প্ৰয়োগৰ ধাউতি প্ৰবল আছিল। কালৰ গতিত এতিয়া দুয়োখন স্কুলৰ ছাত্ৰ একপন্থীয়া হৈ আটাই-বিলাক আগৰখন (খাচ অসমীয়া) স্কুলত ভৰ্ত্তি হৈছে, পাচৰখন (সংস্কৃতীয়া) স্কুল এৰা পৰিছে। ইবিলাকৰ অনুগামী অসমীয়া সাহিত্যিক আৰু ভালেমানৰ নাম আজি-কালি লবলৈ হৈছে, তাৰ ভিতৰত পৰলোকগত অগ্ৰগণী জনদিয়েকৰ নামমাত্ৰ লৈ এই সুযোগতে সিবিলাকৰ ওচৰত আমি জীয়াই থকাবিলাকে কৃতজ্ঞতা জনাই থওঁহক, সিবিলাক এই কেইজন: (১) ৺লম্বোদৰ বৰা, (২) ৺পাণীন্দ্ৰনাথ গগৈ, (৩) ৺ৰত্নেশ্বৰ মহন্ত। ইবিলাক কেইওজনকে অকালত হেৰুৱাই অসমীয়া সাহিত্য যে নথৈ ক্ষতিগ্ৰস্ত হৈছে তাক কোৱা বাহুল্য মাথোন।

ওপৰত উল্লেকিয়াই অহা আপদৰ কালত আৰু বৰ্ত্তমানত অসমীয়া ভাষাত প্ৰচাৰিত আলোচনী আৰু বাতৰি কাকতবিলাকেও যে অসমীয়া সাহিত্যৰ সামান্য উপকাৰ কৰিছিল আৰু কৰিছে, এনে নহয়। সেই বিষয়ে ভাঙি কবলৈ এই প্ৰসঙ্গত সময়ৰ নাটনি পৰিব; গতিকে ইয়াত তাৰ নাম-ধামৰ এটা টোকা মাথোন ধৰি থওঁ। যেনে:—

(১) 'অৰুণোদয়' (মাহেকীয়া) খ্ৰীঃ ১৮৪৬ চনৰপৰা ১৮৮২ চনলৈকে শিৱসাগৰত পাদ্ৰীচাহাবসকলে প্ৰচাৰ কৰিছিল।

(২) 'আসাম বিলাসিনী' ১ম খণ্ড (মাহেকীয়া), খ্ৰীঃ ১৮৭১ চনৰপৰা ১৮৮৩ চনলৈকে আউনী আটীয় সত্ৰাধিকাৰ ৺দত্তদেৱ গোস্বামীৰ দ্বাৰা প্ৰচাৰিত হৈছিল। ইয়াৰ ২য় খণ্ড (সাতদিনীয়া), যোৰহাটত ১৯১৭ খ্ৰীঃ চনৰপৰা চলিছে।

(৩) 'আসাম দৰ্পণ' (মাহেকীয়া) ১৮৭১ খ্ৰীষ্টাব্দত দৰঙৰপৰা ওলাইছিল।

(৪) 'আসাম নিউচ্' (সাপ্তাহিক) খ্ৰীঃ ১৮৮২ চনৰপৰা ১৮৮৫ চনলৈকে গুৱাহাটীত প্ৰচাৰিত হৈছিল, ইয়াৰ সম্পাদক ৺হেমচন্দ্ৰ বৰুৱা আছিল।

(৫) 'আসাম-বন্ধু' (মাহেকীয়া) খ্ৰীঃ ১৮৮৫-৮৭ চনত কলিকতাৰপৰা প্ৰচাৰিত হৈছিল, ইয়াৰ সম্পাদক আৰু প্ৰকাশক ৺ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰ।

(৬) 'মৌ' (মাহেকীয়া) ১৮৮৬ খ্ৰীষ্টাব্দত কলিকতাৰপৰা ওলাইছিল, ইয়াৰ পৃষ্ঠপোষক মিঃ বলিনাৰায়ণ বৰা চি, ই,।

(৭) 'আসাম-তৰা' (মাহেকীয়া) খ্ৰীঃ ১৮৮৮ ৯০ চনত আউনী আটী সত্ৰৰপৰা চলিছিল, ইয়াৰ সম্পাদক শ্ৰীযুত শ্ৰীধৰচন্দ্ৰ বৰুৱা।

(৮) 'জোনাকী' (মাহেকীয়া) ১ম খণ্ড, খ্ৰীঃ ১৮৮৯-৯২ চনত কলিকতাপ্ৰবাসী অসমীয়া ছাত্ৰৰ দ্বাৰা প্ৰচাৰিত হৈছিল, ইয়াৰ সম্পাদক আৰু প্ৰকাশক শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা আৰু শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী। ইয়াৰ ২য় খণ্ড গুৱাহাটীত খ্ৰীঃ ১৯০২ ০৪ চনত অসমীয়া ভাষাৰ উন্নতিসাধিনী সভাৰপৰা প্ৰচাৰিত হৈছিল, সম্পাদক শ্ৰীযুত সত্যনাথ বৰা বি, এল,।

(৯) 'বিজুলী' (মাহেকীয়া) ১ম খণ্ড, খ্ৰীঃ ১৮৯০—৯৩ চনত কলিকতাৰপৰা শ্ৰীযুত কৃষ্ণপ্ৰসাদ দুৱৰা বি, এল, আৰু শ্ৰীযুত পদ্মনাথ বৰুৱাৰ দ্বাৰা সম্পাদিত আৰু প্ৰচাৰিত হৈছিল। ২য় খণ্ড, খ্ৰীঃ ১৯০২ চনত শিলংপ্ৰবাসী শ্ৰীযুত লক্ষ্মীনাথ শৰ্ম্মা বি, এ,ৰ দ্বাৰা সম্পাদিত হৈ তেজপুৰৰপৰা ওলাইছিল।

(১০) 'আসাম' (সাপ্তাহিক) খ্ৰীঃ ১৮৯৪ চনৰপৰা ১৯০১ চনলৈকে গুৱাহাটীৰপৰা ৺কালীৰাম বৰুৱাৰ দ্বাৰা সম্পাদিত আৰু প্ৰচাৰিত হৈছিল।

(১১) 'আসাম-বন্তি' (প্ৰথম ১৪ বছৰ সাতদিনীয়া ; তাৰ পাচৰপৰা পখেকীয়া) খ্ৰীঃ ১৯০১ চনৰপৰা তেজপুৰত চলি আছে। প্ৰথম তেৰ বছৰত শ্ৰীযুত মথুৰামোহন বৰুৱা, মাজতে তিনিবছৰ ৺জয়দেৱ শৰ্ম্মা, তাৰ পাচৰ চাৰি বছৰমান ৺যোগানন্দ দত্ত, আৰু তাৰ পাচৰপৰা শ্ৰীযুত পদ্মনাথ বৰুৱা ইয়াৰ সম্পাদক।

(১২) 'দীপ্তি' (মাহেকীয়া) খ্ৰীঃ ১৯০৫—০৭ চনত আমেৰিকান মিচন ছোচাইটীৰ দ্বাৰা ডিব্ৰুগড়ৰপৰা প্ৰচাৰিত হৈছিল।

(১৩) 'উষা' (মাহেকীয়া) খ্ৰীঃ ১৯০৭—১২ চনত তেজপুৰৰপৰা প্ৰচাৰিত হৈছিল : শ্ৰীযুত পদ্মনাথ বৰুৱা ইয়াৰ সম্পাদক আৰু প্ৰচাৰক।

(১৪) 'বাঁহী' (মাহেকীয়া) খ্ৰীঃ ১৯০৯ চনৰপৰা কলিকতাত শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা বি, এ,ৰ দ্বাৰা সম্পাদিত আৰু প্ৰচাৰিত হৈছে।

(১৫) 'আসাম বান্ধৱ' খ্ৰীঃ ১৯০৯- ১১ চনত ডিব্ৰুগড়ৰপৰা ওলাইছিল। শ্ৰীযুত ভোলানাথ গোঁহাই ইয়াৰ সম্পাদক আৰু প্ৰকাশক আছিল।

(১৬) 'আলোচনী' (মাহেকীয়া) ১৯০৯ খ্ৰীষ্টাব্দৰপৰা ডিব্ৰুগড়ৰপৰা চলি আছে, সম্পাদক (প্ৰথম বছৰচেৰেক) শ্ৰীযুত দুৰ্গানাথ চাংকাকতি।

(১৭) 'আসাম-বান্ধৱ' (মাহেকীয়া) খ্ৰীঃ ১৯১০ চনৰপৰা ডিব্ৰুগড়ত প্ৰকাশ হৈ চলিছে, সম্পাদক শ্ৰীযুত তাৰানাথ চক্ৰবৰ্ত্তী।

(১৮) 'অৰুণ' (মাহেকীয়া) ১৯১৬ খ্ৰীষ্টাব্দৰপৰা শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীৰ দ্বাৰা সম্পাদিত হৈ চলিছিল ; এতিয়াও চলিয়ে আছে, কিন্তু সম্পাদকৰ নাম নাই ; প্ৰকাশক শ্ৰীযুত লোহিতচন্দ্ৰ ভূঞা।

সৰ্ব্বশেষত সাহিত্য-সম্মিলনীৰ নামে একেষাৰ কোৱা যায় যে, যদিও আজি আপোনাসকলৰ সাধু উদ্যমত এই সম্মিলনৰ প্ৰাণ-প্ৰতিষ্ঠা হোৱাৰ আগেয়ে "অসমীয়া-সাহিত্য-সম্মিলনী" আমাৰ নাছিল, তথাপি এই একে ব্ৰতৰ ব্ৰতী "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা"ৰ নিচিনা অনুষ্ঠানৰ আমাৰ অভাৱ নাছিল। তাহানিৰ কলিকতা-প্ৰবাসী

অসমীয়া কলেজ-ছাত্ৰসকলৰ উদ্যমত, ১৮৮৫ খ্ৰীষ্টাব্দত জন্ম পোৱা, "অসমীয়া ভাষাৰ উন্নতিসাধিনী সভা"ই, আৰু তাৰ ঠাল বাহি অসমৰ ঠায়ে ঠায়ে স্থাপিত হোৱা সেই নামৰ সভাবিলাকে যে অসমীয়া সাহিত্যৰ আপদৰ কালত কিমান গুণ দিলে তাক কৈ অন্ত পেলাব নোৱাৰি। বিশেষকৈ, কলিকতাত জন্ম লোৱা এই নামৰ মূল সভাৰপৰা অসমীয়া সাহিত্যৰ উন্নতিসাধন-কাৰ্য্যত অশেষ উপকাৰ পোৱা যায়। তাৰ পাচত, ৺লম্বোদৰ বৰাৰ দ্বাৰা তেজপুৰত প্ৰতিষ্ঠিত সেই নামৰ সভাই অসমীয়া সাহিত্যৰ বহু উপকাৰ সাধি, এতিয়া লগৰীয়া আনবিলাক সভা হুমাই নোহোৱা হোৱাৰ পাচতো এটা প্ৰকাণ্ড নামঘৰেৰে সৈতে জিলিকি আছে। ৺বৰাদেৱৰ পাচত, আপোনাসকলৰ এই অভাজন লগৰীয়াই একেৰাহে ১৭ বছৰ তাৰ সম্পাদকৰ বাব বৈ যথাসাধ্য তাৰ ব্ৰত পালন কৰিবলৈ যত্ন কৰিছিল। দুখৰ বিষয়, আজিকালি আমাৰ সমাজত শিক্ষিত ডেকাৰ লেখ আশাতীতৰূপে বঢ়াৰ স্থলতো সেই সভাবিলাক শ্ৰীহীন হৈ মৰিছে, আৰু মৰামুৰা হৈছে! ১৮৭১ খ্ৰীষ্টাব্দত যেতিয়া বঙ্গলা ভাষাই অসমৰ আদালত আৰু পঢ়াশালিত অসমীয়া ভাষাক ঠাই এৰি দিব লগা হয়, তেতিয়াৰপৰাই বঙ্গলা ভাষাৰ কলীয়া যুঁজাৰুদলে অসমীয়া ভাষাক বঙ্গলাৰ অপভ্ৰংশ বুলি প্ৰমাণ কৰিবলৈ কাগজে-কলমে তৰ্কযুদ্ধ আৰম্ভ কৰে। সেই সময়ত এই "অসমীয়া ভাষাৰ উন্নতিসাধিনী সভা"বিলাকে মুখ পাতি নধৰা হলে যে তাৰ ফলাফল কি হ'লগৈহেঁতেন কব নোৱাৰি। সি যি হওক, আজি চৈধ্য বছৰ হলহি, সেই অপায় খণ্ডিছে; এতিয়া অসমীয়া ভাষা আৰু সাহিত্য স্বতন্ত্ৰবীয়া বুলি বঙ্গভাষী সত্যবাদী সাহিত্যিকেও মুক্তকণ্ঠে স্বীকাৰ কৰিছে। আসাম প্ৰদেশৰ ভাষাবিশাৰদ পণ্ডিত শ্ৰীযুত পদ্মনাথ বিদ্যাবিনোদ মহাশয়ে তেওঁৰ 'আসামেৰ পত্ৰ-পত্ৰিকা' শীৰ্ষক প্ৰবন্ধত কৈছে, "অসমীয়া ভাষাৰ যে একটা প্ৰকাণ্ড সাহিত্য বৰ্ত্তমান ছিল একথা তখনকাৰ দিনে গৱৰ্ণমেণ্ট কিংবা বঙ্গদেশবাসী অথবা বিদেশীয় মিশনাৰী প্ৰভৃতি কেহই জানিতেন না।"

পৰোপকাৰী পাদ্ৰী চাহাবসকল আৰু ওপৰত নাম লৈ অহা মাতৃভাষা আৰু জাতীয় সাহিত্যৰ অনুৰাগী অসমীয়া সাহিত্যিকসকলৰ যত্নত অসমীয়া ভাষা আৰু সাহিত্য অসমত পুনঃ ৰাজ্যভাষা আৰু পঢ়াশালিৰ পাঠ্য হ'ল; "অসমীয়া ভাষাৰ উন্নতিসাধিনী সভা"বিলাক আৰু বৰ্ত্তমান যুগৰ আগৰ তৰপৰ কৃতবিদ্য সাহিত্যিকসকলৰ পুৰুষাৰ্থৰ ফলত সি পুনঃ স্বতন্ত্ৰবীয়া নাম লাভ কৰিলে; এতিয়া আশা কৰা যায়, বৰ্ত্তমান যুগৰ উপস্থিতি আৰু উঠি-অহা ডেকা সাহিত্যিকসকল আৰু এই "অসমীয়া সাহিত্য-সন্মিলনী"ৰ যত্ন-কৌশলত সি বৰ্ত্তমান পতিত অৱস্থাৰপৰা উদ্ধাৰ্ত্তি কৰি পূৰ্ব্বৰ গৌৰৱ লাভ কৰিব। অসমীয়া সাহিত্যৰ যে বৰ্ত্তমান পতিত অৱস্থা তাৰ বহল ব্যাখ্যা দি সময়ৰ নাটনি ঘটোৱাতকৈ, মধ্য বা শঙ্কৰীয়া যুগৰ সাহিত্যৰ লগত বৰ্ত্তমান যুগৰ সাহিত্য বিজাই চাবলৈ আপোনাসকলক অনুৰোধ কৰোঁ। দেখিব, শঙ্কৰীয়া যুগৰ সাহিত্য যেনেকৈ সমাজ-বন্ধন আৰু জাতীয় জীৱন সংগঠনত কৃতকাৰ্য্য হৈছিল, বৰ্ত্তমান যুগৰ সাহিত্যে তাৰ এশ ভাগৰ এভাগো কৰিব পৰা নাই। ইয়াৰ কাৰণ এই যে, তেতিয়াৰ দৰে এতিয়াৰ সাহিত্যিক সমাজ আৰু জাতিৰ ধাতু বুজি গ্ৰন্থাদি প্ৰণয়ন কৰিব পৰা নাই। কি কাৰণে পৰা নাই, সেইটো সাহিত্য-সভা আৰু সন্মিলনীৰ আলোচ্য বিষয় হব লাগে। এতিয়াৰ-পৰা বছৰি এইদৰে "সদৌ অসমীয়া সাহিত্য-সন্মিলনী" বহি এই বিষয়ে পৰ্য্যালোচনা কৰা হব লাগে; আৰু বছৰেকীয়া সন্মিলনীক সবল দি সহায় কৰিবলৈ আসাম উপত্যকাৰ প্ৰত্যেক সদৰ আৰু মহকুমাত, আনকি ঠাই বুজি গাঁও-মৌজা আদিৰ কেন্দ্ৰস্থলতো বাৰেও মাহে বহা পালি বা শাখা সন্মিলনী স্থাপিত হোৱা বাঞ্ছনীয়। এইখিনিতে কব খোজোঁ যে আগৰ "অসমীয়া ভাষাৰ উন্নতিসাধিনী সভা"ৰ যিবিলাক লোপ পাইছে সেইবিলাক পুনঃ সজাগ কৰি, আৰু য'ত নাই তাত নতুনকৈ পাতি লৈ সেইবিলাকৰ হাতত শাখা সন্মিলনীৰ কৰ্ত্তব্য গতাব পৰা যায়। সন্মিলনী বা পালি সভাবিলাকে নিজেও যি পাৰে স্বতন্ত্ৰবীয়াকৈ জাতীয় উন্নতিৰ অৰ্থে কৰি গৈ থাকিব, আৰু যিবিলাক বিষয়ত সদৌ অসমৰ মত মিলাবৰ আৱশ্যক, তেনেবিলাক বিষয়ৰ আলোচনা বছৰেকীয়া "সদৌ অসম সাহিত্য-সন্মিলনী"লৈ আগ কৰি থাকি থব। এই নিয়মে শাখা

সম্মিলনী আৰু পালিসভাবিলাকৰপৰা প্ৰস্তাৱ আৰু পৰামৰ্শ গ্ৰহণ কৰি, আমাৰ জাতীয় সাহিত্যক বৰ্ত্তমান পতিত অৱস্থাৰপৰা উদ্ধাৰ কৰিবলৈ আমাক কি লাগে তাৰ বিষয়ে যাই সাহিত্য-সম্মিলনীত বহুধি পৰ্য্যালোচনা হব লাগে। কিন্তু অকল অভাৱৰ বিষয় ভাবি উলিয়ালেই আমাৰ উদ্দেশ্য সিদ্ধি হবনে? নহয়, সেই অভাৱ গুচোৱা প্ৰস্তাৱাদি কাৰ্য্যত ফলিয়ালেহে তাৰ দ্বাৰা আমাৰ সমাজ উপকৃত হব, তাৰ ফলতহে আমাৰ জাতীয় জীৱন সুগঠিত হব। এতেকে, এতিয়া আমি ভাবনাত ভোল গৈ থাকিলেই আমাৰ চাউল নিসিজে, আমি হাতে কামে লগা হৈ কাৰ্য্য-ক্ষেত্ৰত আগ বাঢ়িব লাগে। আমাৰ নবীন আৰু প্ৰবীণ সাহিত্যিকসকলৰ ওচৰত সিবিলাকৰ এই অভাজন লগৰীয়াৰ বিনীত নিবেদন এই যে, সিবিলাকে আমাৰ জাতীয় সাহিত্যৰ ভঁড়ালৰ আপচু অভাৱবিলাক গুচাবলৈ যেন দেহে চিতে লাগি যায়। পলম কৰিবৰ কাল নাই, আমি এতিয়ালৈকে হেলাত বিস্তৰ সময় নষ্ট কৰি বহিছোঁ, সি আৰু আমালৈ উলটি নাহে, আমাৰ আগৰপৰা ইতিমধ্যে ভালেমান সোণাময় ছেগ পাৰ হৈ গৈছে, যাক আৰু আমি ঘূৰাই পোৱাৰ আশা নিচেই ক্ষীণ। এতেকে, সমনীয়া আৰু ডেকা সাহিত্যিক বন্ধুসকল! আহক, আমি প্ৰত্যেকে নিজৰ শক্তি আৰু ৰুচি অনুযায়ী ভাগে ভাগে আমাৰ সাহিত্যৰ বেলেগ বেলেগ জ্ঞান-বিভাগৰ অভাৱ পূৰাবলৈ লাগি যাওঁহক, আমাৰ সাহিত্য ভঁড়ালত কাব্য, অলঙ্কাৰ, ইতিহাস, পুৰাতত্ত্ব, দৰ্শন, বিজ্ঞান, মানৱতত্ত্ব ইত্যাদি বিষয়ক গ্ৰন্থৰ সকবৰ ভাঙৰী কটিয়াই তাক বাহিৰে-ভিতৰে ভাঙৰ কৰিবলৈ দেহ-মন উছৰ্গি দিওঁহক, যাৰ প্ৰতিভা আছে তেওঁ মৌলিক গ্ৰন্থ প্ৰণয়ন কৰি, আৰু যাৰ অধ্যৱসায় আছে তেওঁ অনুবাদ প্ৰচাৰ কৰি আমাৰ জাতীয় সাহিত্য চহকী কৰিবলৈ প্ৰতিশ্ৰুত হওঁহক। আমাৰ পৈণত আৰু পুৰঠ সাহিত্যৰে লৈহে আমাৰ সমাজক বলী কৰা, বলী সমাজেৰে আমাৰ জাতীয় জীৱন সুগঠিত কৰা আমাৰ এতিয়া আটাইতকৈ আগ কাম হৈছে; এই কামত কৃতিত্ব লাভ নকৰাকৈ আমি অহোপুৰুষাৰ্থ কৰিও আমাৰ জাতিকে জাতিমূৰা কৰিব নোৱাৰিম্হক। এতেকে, আকৌবাৰ বোলোঁ, সমনীয়া বান্ধৱসকল, উঠি অহা ডেকা লগৰীয়া সাহিত্যিকসকল, আহক, আমি একে উশাহে আমাৰ মাতৃভাষা আৰু জাতীয় সাহিত্যৰ উন্নতিকল্পে অবাধিত গতিৰে আগ বাঢ়োঁহক। সাহসেই সিদ্ধিৰ আচল মন্ত্ৰ—হতাশৰ নিগাজী ভেটি নাই।

এই বিষয়ত আমাৰ এটা প্ৰধান অন্তৰায় হৈছে, সি ধনৰ অভাৱ। এই ধনৰ অভাৱতে আমাৰ সাহিত্যিক-সকলৰ অনেকে আন্তৰিক ইচ্ছা থকাতো এই মহৎ উদ্দেশ্যৰ বাটত আগুৱাব পৰা নাই। হাজাৰৰ মাজত কোনো এজনে এখন-দুখন বাজে-পুথি মৰসাহ দি লিখি উলিয়ালেও জনসাধাৰণৰ মাজত তাৰ কাটন নহৈ পলিয়া উই-পৰুৱাৰ মাজতহে হয়। কোনোজনৰ বা তেনে পুথি পোহৰ নেদেখাকৈ আন্ধাৰতে ভৈকুণ্ঠ। এই অন্তৰায় আঁতৰ নহলে, ওপৰত উল্লিখিতৰ আমাৰ উদ্দেশ্য সিদ্ধি হোৱা অসম্ভৱ নহলেও, উজু নহয়। কিন্তু, সেই অন্তৰায়মো আঁতৰ নহব কিয়? অসম দেশ চুবুৰীয়া বঙ্গদেশৰ দৰে চহকী নহয় সঁচা, বঙ্গদেশৰ নিচিনাকৈ ইয়াত ৰজা-জমিদাৰ ধনী লোক নাই বুলিলেও তেনেই মিছা কোৱা নহয়, তথাপি অসমত যে "আকালো নাই, ভঁড়ালো নাই" এই কথাও সঁচা, অসমৰ অভাৱ অসমীয়াৰ মানত যে "বলে নোৱাৰা শিল" নহয় তাতো বৰ সন্দেহ নাই। তাকৰীয়া যদিও, আমাৰ যিকেইজন ধনী লোক আছে, সিবিলাকে মন কৰিলে আমাৰ জাতীয় সাহিত্যৰ উন্নতিকল্পে যথেষ্ট কৰিব পাৰে, ধনৰ অভাৱত প্ৰকাশিত নোহোৱা দুই-চাৰিখন উল্লিখিত বিধৰ ভাল ভাল গ্ৰন্থ সিবিলাকে প্ৰচাৰ কৰি দেখুৱালে সিবিলাকৰ মহৎ উদাহৰণ আগত লৈ মধ্যবিত্ত লোকেও সেই সৎপথত উৎসাহেৰে আগ বাঢ়িব। আন হাতে, দেশহিতৈষী ধনী লোকৰপৰা তেনে উৎসাহৰ সাৰ পালে আমাৰ সাহিত্যিক দল যে দিনক-দিনে সবল হৈ উঠিব তাত সন্দেহ নাই। অকল সেয়ে হলেও নহয়, তাৰ লগে লগে আমাৰ পাঠক-বৰ্গবো শুভমতি হব লাগে, যিবিলাকেও নিজৰ উন্নতিৰ অৰ্থে, সমাজৰ উপকাৰৰ উদ্দেশ্যে, জাতীয় সাহিত্যৰ ভেটিত জাতীয় জীৱন গঢ়িবৰ মানসে, মাতৃভাষাত ৰচিত সকলো

বিষয় সাহিত্য পুথি কিনি পঢ়ি লেখক আৰু প্ৰচাৰকৰ উৎসাহ বঢ়োৱাটো জীৱনৰ এটা যাই কৰ্ত্তব্য বুলি মানিব লাগে—অকল মনেৰে মানিলে নহয়, তাক কাৰ্য্যৰ পটন্তৰেৰে দেখুৱাবলৈ দৃঢ়প্ৰতিজ্ঞ হব লাগে। অকল ইমানেও নহয়, আন হাতে লেখকসকলেও মনত ৰখা উচিত যে, সিবিলাকৰ গ্ৰন্থ জনসাধাৰণৰ মন টানিব পৰা হব লাগিব; আৰু যি গ্ৰন্থৰ দ্বাৰা আমাৰ সাহিত্যৰ প্ৰকৃতপক্ষে পুষ্টিসাধন হয়, যাৰপৰা আমাৰ সমাজ সঁচাকৈ উপকৃত হ'ব পাৰে, আৰু যাৰ গুণত আমাৰ জাতীয় জীৱন সুগঢ়িত হোৱা সম্ভৱ, তেনে গ্ৰন্থ প্ৰণয়নতহে সিবিলাকৰঁ প্ৰতিভা আৰু অধ্যবসায় নিয়োজিত হোৱা বাঞ্ছনীয়। আন হাতে, দকৈ গমি চাবলগীয়া যে, "ধনেই ধৰ্ম্মৰ মূল; তেন্তে মূলধন অকা-মিলাকৈ সাঁচি থোৱাৰপৰা অধৰ্ম্মহে হয়। এই কথা মনত লৈ সকলোৱে ধনৰ সজ ব্যৱহাৰ কৰিবলৈ চোৱা উচিত। জাতীয় সাহিত্যৰ উন্নতিত লগোৱাতকৈ আৰু ধনৰ উত্তম ব্যৱহাৰ কি হব পাৰে? বিশেষতঃ, বুৰঞ্জীয়ে সাক্ষী হৈ কয় যে, সাহিত্যসেৱীসকলে সততে ধনীসকলৰ আশ্ৰয়তহে উদগতি লাভ কৰি আহিছে; ই আমালৈ এতিয়া একো নতুন কথা নহয়। বিক্ৰমাদিত্যৰ আশ্ৰয়ত নৱৰত্ন, ৰাজা কৃষ্ণচন্দ্ৰৰ আশ্ৰয়ত ভাৰতচন্দ্ৰ, মহাৰাজ নৰনাৰায়ণৰ আশ্ৰয়ত শঙ্কৰ, মাধৱ, ৰাম সৰস্বতী, এইসকলেই তাৰ জ্বলন্ত পটন্তৰ। আমাৰ আগৰ পুৰুষতো ৺ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, ৺শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী এইসকল দৃষ্টান্তৰ স্থল। বৰ্ত্তমানতো অসমৰ গৌৰৱস্থল বিজনীৰ ৰাণী শ্ৰীযুক্তা অভয়েশ্বৰী দেৱী, গৌৰীপুৰৰ ৰজা প্ৰভাতচন্দ্ৰ বৰুৱা বাহাদুৰ, মেছপাৰাৰ জমিদাৰসকল, উজনি অসমৰ অসমীয়া "প্লেণ্টাৰ্চ" (চাহখেতিৰ কাৰবাৰ চলাওঁতা) সকল, নামনি অসমৰ বিবিধ ব্যৱসায়ী ধনীলোকসকল ইত্যাদি চহকী লোকৰ আমাৰ অভাৱ নাই, যি ইচ্ছা কৰিলে ওপৰত উল্লিখিত অসমীয়া সাহিত্য-সেৱীক যুগুত সহায় দান কৰিব পাৰে। ইয়াৰ উপৰিও, এই সময়ত এই বিষয়ত অসমীয়ালৈ এটি মাহেন্দ্ৰ ক্ষণ আপুনি উপস্থিত হৈছেহি; আপোনাসকলে "অসমীয়া সাহিত্য-সন্মিলনী" পাতিবলৈ আৰম্ভ কৰাৰ এবছৰৰ আগৰ-[illegible] ছাত্ৰবৰ্গে বা উঠি-অহা অসমীয়া সমজুৱাসকলে যাৰ ওপৰত অসমীয়া সমাজ, সাহিত্য আৰু জাতীয় জীৱনৰ ভৱিষ্যত বাইকৈ নিৰ্ভৰ কৰিছে—আপোনাসকলৰ সঙ্গ লগীয়া হৈ কাৰ্য্য-ক্ষেত্ৰত নামিব লাগিছে। ছাত্ৰসকলৰ দ্বাৰা গঠিত "অসমীয়া ছাত্ৰ-সন্মিলন"ৰ বিবিধ বিষয়ক কাৰ্য্যৰ প্ৰস্তাৱৰ ভিতৰত জাতীয় সাহিত্যৰ উন্নতিকল্পে ৰখা প্ৰস্তাৱ কেইটিয়ে এই "অসমীয়া সাহিত্য-সন্মিলনী"ৰ আৰ্থিক বল-বৰ্দ্ধনত নিশ্চয় আশাতীত গুণ দিব। এতিয়া, দুয়ো সন্মিলনী সন্মিলিত হৈ এই বিষয়ত আগ বাঢ়িলে ধনী-সকলৰপৰা পোৱা দান আৰু ৰাইজৰপৰা তোলা পইচাৰে সৈতে অচিৰে আমাৰ এটি বাঢ়নীয়া সাহিত্য-পুঁজি স্থাপিত হব পাৰে। এনে পুঁজিৰ সংস্থাপনে যে ওপৰত দেখুৱাই অহা অন্তৰায় ক্ৰমাৎ আঁতৰাই ঠেলিব তাত সংশয় নাই। এনে পুঁজিৰ আৰ্থিক সাহায্যেৰে ধনৰ অভাৱত পোহৰ নেদেখাকৈ পৰি থকা লাগতিয়াল গ্ৰন্থাদি প্ৰকাশ কৰি, আৰু দেশীভাষাৰ আলোচনী আৰু বাতৰি কাকতাদিক যথাযোগ্য উৎসাহ দি অসমীয়া সাহিত্যৰ উন্নতিৰে সৈতে আমাৰ সমাজ আৰু জাতীয় জীৱনৰ শ্ৰীবৃদ্ধি সাধিবলৈ যথেষ্ট বল পোৱা যাব। এতেকে, হতাশ হবৰ সকাম নাই! আহক, ডেকা আৰু সমনীয়া লগৰীয়াসকল, উৎসাহেৰে আগ বাঢ়োঁহঁক, প্ৰতিভা আৰু অধ্যৱসায়ক যথাবাটে বাট লগাওঁহঁক, সাহিত্যৰ সকলো বিভাগৰ গ্ৰন্থৰে সৈতে অসমীয়া সাহিত্য-ভঁড়াল পৰিপূৰ্ণ কৰিবলৈ সঙ্কল্প কৰি বিহাঁদিহি কাৰ্য্যক্ষেত্ৰলৈ ওলাওঁহঁক; ফলতঃ নিশ্চয় আমাৰ মহৎ উদ্দেশ্য সিদ্ধি হব, আমাৰ জাতীয় সাহিত্যে পূৰ্ব্বৰ গৌৰৱ আকৌ লাভ কৰিব, আমাৰ সমাজ আকৌ আগৰ দৰে সুগঠিত হব, আমাৰ জাতীয় জীৱন আকৌ আগৰ তেজেৰে তেজীয়ান হৈ জিলিকিব।

সাৰৰণিত একেষাৰ এই যে, এই সম্ভাষণত অতি সংযতভাৱে আমাৰ ভাষা, সাহিত্য, সমাজ আৰু জাতীয় জীৱন সম্পৰ্কীয় আলোচনাৰ আভাস মাথোন দিয়া হ'ল, যি ইয়াৰ পাচত আপোনাসকলৰ ভিতৰৰ শৈশত আৰু পণ্ডিত সাহিত্যিকৰ মাজত তাৰ বহল আৰু গভীৰ চৰ্চা বঢ়াব বুলি আশা কৰোঁহঁক। এই সম্ভাষণ দীঘলীয়া হৈ দি আপোনাসকলক আমনি কৰোঁৱাৰ অপৰাধ কৰা ইয়াৰ

পাতনিতে কৈ অহা হৈছিল, এতিয়া সি সঁচাকৈয়ে কাৰ্য্যত ফলিয়াইছে বুলিহে ভয় হৈছে। তথাপি, আপোনা-সকলে দয়া কৰি ইয়ানপৰ ধৈৰ্য্যভাৱে মোতে এই অসাৰ সম্ভাষণলৈ কাণ দি আপোনাসকলৰ এই নিঃকিন নগৰীয়াক চৰিতাৰ্থ কৰাৰ বাবে মোৰ সৰল কৃতজ্ঞতা গ্ৰহণ কৰে যেন, এই মিনতিৰে সৈতে মোৰ আহকৌ আসনসৰলৈ এতিয়া আপোনাসকলৰ ওচৰত অনুমতি মাগিছোঁ।

---

১ আৰম্ভণিতে "অসম সাহিত্য সভা"ৰ নাম "অসমীয়া সাহিত্য সন্মিলনী" আছিল।

অসম ছাত্ৰ সম্মিলন

তৃতীয় অধিবেশন

ডিব্ৰুগড়—ডিচেম্বৰ ১৯১৮ চন

প্ৰিয় ছাত্ৰবন্ধুসকল আৰু ভগ্নীসকল! ঈশ্বৰৰ ইচ্ছাত, এটি সমজুৱা মহান ভাৱত আজি আমি এই ঠাইত সম্মিলিত হৈছোঁহিঁক। এই সম্মেলনৰ উদ্দেশ্য অতি মহৎ। এই মহৎ মানে সততে আমি যেনে ধাৰণা কৰোঁহঁক. ঠিক তেনে নহয়,—এই মহৎ মানে অতি গভীৰ, অতি উচ্চ, অতি প্ৰশস্ত। ইয়াৰ গভীৰতাই পাতাল ভেদিছে, উচ্চতাই স্বৰগ চুইছে, প্ৰশস্ততাই জগত জুৰিছে। এনে এটি মহৎ উদ্দেশ্যে আজি শুভক্ষণত এই মহাসম্মেলন ঘটাইছে, যাৰ মহা আকৰ্ষণে এই অতি ক্ষুদ্ৰ ছিগা বেজীৰ মামৰে ধৰা আগ এটিকো টানি আনি আপোনাসকলৰ মাজত পেলাইছেহি। ক্ষুদ্ৰক মহৎ সাজি আত্ম-মহত্ত্ব দেখুৱাৰ মহান ভাৱেৰে আজি আপোনাসকলে এই অভাজনক এই মহাসম্মেলনৰ সভাপতি পাতি যি করুণভাৱে তেওঁক সম্মানিত কৰিছে, সেই বাবে তেওঁ হিয়াৰ সমল উবুৰিয়াই দোণমৃৰীয়াকৈ থাপি এথনি শলাগৰ শৰাই বিনীতভাৱে আপোনাসকললৈ আগবঢ়াইছে; তাক নিজগুণে গ্ৰহণ কৰি যেন তেওঁক চৰিতাৰ্থ কৰে, তেওঁৰ এই বাঞ্ছা। এই সম্মান দানত আপোনাসকলে যি দয়া দেখুৱাইছে, সি নিশ্চয় নিঃস্বাৰ্থ ভাৱৰ, কিন্তু শলাগৰ শৰাই আগবঢ়াওঁতাৰ উদ্দেশ্য তেনে নিৰ্মল নহয়, তাত এফেৰি স্বাৰ্থৰ চেকা আছে—সেই স্বাৰ্থ ক্ষমা লাভ। কাৰণ আজি এই অপাত্ৰই সভাপতিৰ পাত্ৰ হবলৈ গৈ যে হাঁহিয়াতৰ পাত্ৰ হব, তাত লেশমানো সন্দেহ নাই। তাৰ প্ৰমাণ অলপ পিছৰপৰাই আপোনা-সকলে ক্ৰমাৎ পাই যাব। এতেকে ইমানৰেপৰা ক্ষমা ভিক্ষালৈ আঁজলি পাতি আমনি কৰাৰ বাবেও যেন তেওঁ ক্ষমা পায়। তথাপি আপোনাসকলে নিজগুণে মানিছে যেতিয়া, তেওঁ পতান হৈয়ো ধানৰ কাম দিবলৈ সাহ কৰি এই আসন লবলৈ আগবাঢ়িছে। এতিয়া আহক, সকলো-টিয়ে একেচিতীয়া হৈ জয়জয়তে সিদ্ধিদাতা ভগৱন্তৰ চৰণত গোহাৰি কৰোঁহঁক, সেই ইচ্ছাময়ৰ ইচ্ছাত আমাৰ আজিৰ মহৎ উদ্দেশ্যৰ আগত লোৱা শুভকাৰ্য্য সুফলমে সম্পাদিত হয় যেন।

বক্তৃতাৰ পাতনি মেলাটো আজিকালি আমাৰ দেশ-দস্তুৰ, যদ্যপি ইংৰাজী দস্তুৰ ধৰোঁতাসকলে তাক চমু কৰিবলৈ শিকিছে। আমি সৰহভাগে কিন্তু সেই সাময়িক শিক্ষাৰ এতিয়াও ভাল গুণ ধৰাব পৰা নাই। গতিকে, আমাৰ পাতনিৰ দীঘ আগৰ সমানেই আছে আৰু সেই সমানেই আৰু কিছু কাললৈ থাকিব। সেই পাতনিৰ পাতৰ আঁৰ লৈয়ে এই অপাত্ৰই তেওঁৰ উপস্থিত অসুবিধাৰ বিষয়ে আভাস দি থবলৈ এইখিনিতে ছেগ বিচাৰিছে, যাতে ইয়াৰ গুণত পিছত ক্ষমালাভ এফেৰি উজু হৈ পৰে। কোৱা বাহুল্য মাথোন যে এই নিঃকিনৰ শক্তিতকৈ বিবিধ উদ্দেশীয়া ভক্তিৰ বাব ভাৰেমান গুণে চৰা হৈ উঠিছে। যি সময়ত আজিৰ এই সম্মেলনৰ সভাপতিৰ বাব তেওঁৰ শিৰলৈ টোঁৱাই আগবঢ়োৱা হয়, সেই সময়ত আন এটা তেনে গুৰুতৰ বাবৰ ভৰত তেওঁৰ মূৰ দোঁ খাই আছিল, তেতিয়া আহোম কেন্দ্ৰসভাৰ কৰ্ত্তব্যাই তেওঁক তল নিয়াই থৈছিল। সেই একে সময়তে, অসম এছোচিয়েচনৰ অহা বছেৰেকীয়া অধিবেশনৰ সভাপতিৰ বাবলৈকো মূৰ পাতিৰ লাগে বুলিও আদেশ-অনুৰোধ আহি উপস্থিত। তদুপৰি

বণসংক্রান্ত কিছুমান বজাৰখীয়া কাৰ্য্যৰ ভাবে তেওঁক তিৰ খুৱাই থৈছেই। এনে অৱস্থাত এই সম্মেলনৰ সভাপতিৰ দায়িত্ব তাৰ ৰবগৈ আগবঢ়াটো পোনেই অসম্ভৱ যেন লাগিছিল; পিছে, ছাত্ৰৰ লগত সততে বৈ-বৈ থকা এই জীৱনৰ সবল সহানুভূতিয়ে ওপৰত কোৱা ভাৱনা ততালিকে তল পেলালে। এই নিশকতীয়াই এক আচৰিত শক্তিৰ বলত উত্তেজিত হৈ আজিৰ গধুৰ কৰ্তব্যৰ ভাৰ খুৱ পাতি ধৰিলে। এতিয়া শক্তিৰ নাটনি পৰিলেও যেন ভক্তিৰ নাটনি নপৰে, ঈশ্বৰৰ চৰণত এই প্ৰাৰ্থনা।

অসমত ছাত্ৰ-সম্মেলনৰ উৎপত্তিৰ বিষয়ে সবিশেষ আমি নেজানোঁহক। এই মহৎ অনুষ্ঠানৰ বিষয়ে কাৰ মূৰত কেতিয়া, কি ভাৱে খেলাইছিল তাৰ সম্ভেদো আমি নাপাওঁ। মাথোন এই সম্মেলনৰ পোনপ্ৰথম অধিবেশন গুৱাহাটীত যেতিয়া হয়, তেতিয়া আমাৰ এই বিশ্বাস হৈছিল যে সেইখন "অসমীয়া সাহিত্য সম্মেলনী"। তাত নবীন আৰু প্ৰবীণ সকলো সাহিত্যিকৰ যোগ থাকিব। তাক সততে 'অসম এছোচিয়েচন'ৰ গঁঢ়িলা লৈ বছৰি পতা হব, ইত্যাদি। বাস্তৱতে পোনেই এনেভাৱেহে আমি ইয়াৰ সম্ভেদ পাওঁহক আৰু সেই ভাৱেই নিমন্ত্ৰণ পোৱাও মনত পৰে। দুৰ্ভাগ্যক্ৰমে উপস্থিত হবগৈ পৰা নহল যদিও সেই অধিবেশনৰ পিছত আচল তত্ব পোৱা হয় যে সেই সম্মেলন স্বকীয়াকৈ ছাত্ৰসকলৰহে, তাত অভিভাৱক বা ছাত্ৰশ্ৰেণীৰপৰা বাদ পৰা বা বাজ হোৱা দলৰ ভাগ নাই। তাত ইবিলাকৰ সহানুভূতি মাথোন থাকিব আৰু তাত সাহিত্য-চৰ্চ্চাৰ এৰনীয়া দাও নাই, মাথোন "ছাত্ৰসকলৰ সাহিত্যিক শক্তিৰ ক্ৰমোন্নতি সাধন কৰা উদ্দেশ্যৰ যোগ থাকিব।" আনকি "ইয়াত অসমীয়া অভিধান, ব্যাকৰণ বা ভাষাৰ গঢ় লৈ বাদ-প্ৰতিবাদও হব নোৱাৰে।" কিন্তু এই সম্মেলনৰ জন্মৰ পূৰ্ব্বেই ইয়াৰ পোনপ্ৰথম অধিবেশনৰ আগৰ বছৰতে ডিব্ৰুগড়ত বহা "অসম এছোচিয়েচন"ৰ বছেৰেকীয়া অধিবেশনৰ সংসৰ্গত "অসমীয়া সাহিত্য সম্মেলনী"ৰ গুটি পচোৱা হৈছিল। পিছে এই ছাত্ৰ-সম্মেলন সেই গুটি পচোৱাৰ গছ নহয় বুলি চিন ওলোৱাত ছাত্ৰ-শ্ৰেণীৰ বাজ সাহিত্যিকসকলে সাহিত্য সম্মেলনী এখন স্বকীয়াকৈ পাতিবলৈ আয়োজন কৰে। তাৰ ফলত আজি "অসম ছাত্ৰ-সম্মেলন" আৰু "অসম সাহিত্য সভা" নামে দুখন স্বকীয়া সম্মেলনী আমাৰ লাভ হৈছে। ই আমালৈ বৰ সন্তোষ আৰু সৌভাগ্যৰ বিষয়। দুয়োখনি সম্মেলনীৰ উদ্দেশ্য একে জাতৰ আৰু দুইবো গঢ় একে বাজৰ। দুয়োখন সম্মেলনীৰপৰা যে আমাৰ দেশৰ অশেষ উপকাৰ হব, তাক কোৱাৰ সকাম নাই। কিন্তু এই দুইৰ ভিতৰত ছাত্ৰ-সম্মেলনীৰ সৃষ্টি নতুন আৰু ইয়াৰ উদ্দেশ্য যুটীয়া কণাধাৰী। গতিকে ইয়াৰ উদ্ভাৱক, প্ৰস্তাৱক আৰু প্ৰবৰ্ত্তক বেছি প্ৰশংসাৰ পাত্ৰ। বয়সতো ই সাহিত্য সভাতকৈ এবছৰৰ আগ হৈছে, কাৰ্য্যতো সেই অনুক্ৰমে আগ হব বুলি আশা কৰোঁহক। এইখিনিতে কাৰোবাৰ মনত এনে আসোঁৱাহ বাজি উঠিব পাৰে যে ছাত্ৰই অভিভাৱকতকৈ বয়সত আগ হয় কেনেকৈ? কিন্তু আচৰিত মানিবলগীয়া কথা নহয়, অলপ টং কৰি চালেই বুজা যায় যে ই নিচেই স্বাভাৱিক কথা। কাৰণ ছাত্ৰ হৈহে অভিভাৱক হয়গৈ। এতেকে সেইপাকত ছাত্ৰ বয়সত অভিভাৱকতকৈ আগ নহল জানো? সি যিহওক, আৰু বেলি শিৱসাগৰত পতা "অসমীয়া সাহিত্য সভা"ৰ পোনপ্ৰথম অধিবেশনত সভাপতিৰ সম্ভাষণত এই দুই সম্মেলনীৰ যুটীয়া উদ্দেশ্যৰ বিষয়ে যি উদুকিওৱা হৈছে, তাক সম্পূৰণকৈ বহলাই কাৰ্য্যত লগাবলৈ যেন দুয়ো সম্মেলনীৰ লক্ষ্য থাকে, এই বাঞ্ছা।

এতিয়া স্বকীয়াকৈ ছাত্ৰ-সম্মেলনৰ উদ্দেশ্যৰ উদ্দেশ্যে দু-আষাৰ কব লাগে। "অসম ছাত্ৰ-সম্মেলন"ৰ নিয়মাৱলীয়ে কয় যে সেই উদ্দেশ্য খাইকৈ তিনি থাপি। যেনে,—

(১) সমূহ অসমীয়া ছাত্ৰৰ উন্নতিৰ অৰ্থে তেওঁবিলাকক যথাসম্ভৱ সুবিধা দি গুটীয়া কাৰ্য্যত সহায়তা কৰা।

(২) তেওঁবিলাকৰ সাহিত্যিক শক্তিৰ ক্ৰমোন্নতি সাধন কৰা।

(৩) স্কুল-কলেজৰ শিক্ষাৰ ওপৰকি স্বৰূপে তেওঁবিলাকৰ মানসিক, আধ্যাত্মিক, শাৰীৰিক শক্তিৰ পৰিচালনাত সহায়তা কৰা।

প্ৰথম থাপি উদ্দেশ্যক উদ্দেশ্য বোলাৰ উপৰি ছাত্ৰ-জীৱনৰ জীৱনীয়স্ব বা সঞ্জীৱনী শক্তি বুলিলে অত্যুক্তি

। কাৰণ তাৰ বিহনে ছাত্ৰজীৱন ৰৱপাৰ্থত টিকিব নোৱাৰে। সেই মন্ত্ৰ মুখস্থ নাথাকিলে ছাত্ৰজীৱনত খোজেপতি অপৰাধ হুওঁতে। সেই শক্তি সবল নাথাকিলে ছাত্ৰজীৱন বাঢ়িবৰ সম্ভাৱনা নাই। "গুটীয়া কাৰ্য্যত সহায়তা কৰা" প্ৰত্যেক ছাত্ৰৰে স্বকীয়া লক্ষ্য, আনকি "সমূহ ছাত্ৰৰ উন্নতিৰ অৰ্থে সুবিধা দিয়া" কাৰ্য্যেও পাক লাগি সেই গুটীয়া কাৰ্য্যতে সহায়তা কৰে। এই কাৰ্য্যৰ আৰ্হি সাংসাৰিক জীৱনত ঠিক এইদৰে পোৱা যায়;—যেনে, পৰিয়ালক পালিবলৈ কৰা যত্নতে নিজেও প্ৰতিপালিত হোৱা যায়; জাতিৰ উপকাৰ চিন্তোঁতে নিজৰো উপকাৰ চিন্তা কৰা হয়; জাতীয় উন্নতি সাধন কৰোঁতে নিজৰো উন্নতি সাধিত হয়। এই কথা ইয়াতকৈ উজু কৰিবৰ অৰ্থে ইয়াৰ ব্যাখ্যা বহলাবৰ সকাম নেদেখো; কিয়নো ছাত্ৰসকলে যোৱা দুবছৰত এই কথাৰ কাৰ্য্যতঃ প্ৰমাণ পাই আছিছে। তথাপি কব লাগিলে সমূহ ছাত্ৰৰ উন্নতিৰ অৰ্থে যি সুবিধালৈ সন্মেলনৰ উদ্দেশ্যই ঠাই থৈছে, সেই সম্পৰ্কত আৰু একেষাৰ দোহাৰি কবলৈ এই আছে যে সাধাৰণতে সন্মেলনৰ ধৰ্ম্মই হৈছে সেই। অৰ্থাৎ সমূহক সুবিধা দি তাৰ সাটতে গুটীয়াৰ উপকাৰ কৰাটোৱেই সন্মেলনৰ ধৰ্ম আৰু তাক পালন কৰাই ইয়াৰ কৰ্ম। ছাত্ৰ সন্মেলনহে নালাগে আন সকলো সন্মেলনেই সেই একে জাতৰ আৰু সেই একে বাক্ষৰ। সামাজিক, ৰাজনৈতিক, ধৰ্ম্মবিষয়ক, সকলো সন্মেলনৰেই মুখ্য উদ্দেশ্য হৈছে সমূহক সুবিধা দি সমূহ আৰু গুটীয়া জীৱনৰ উন্নতি সাধন কৰা। আজিকালি সকলো উন্নত সমাজৰ ধৰণী হৈছে সন্মেলন। সকলো ওৰথাপৰ ৰাজনীতিৰ ভেঁটি হৈছে সন্মেলন। সকলো সভ্য আৰু পবিত্ৰ ধৰ্ম্মৰ গঁড়িলা হৈছে সন্মেলন। সভ্য আৰু শিক্ষিত জাতিৰ কথা কবই নালাগে, অসভ্য আৰু অশিক্ষিত জাতিৰ মাজতো সন্মেলনৰ আৱিৰ্ভাৱ আৰু প্ৰাদুৰ্ভাৱ চিৰকাল চলি আছিছে। আপোনাসকলৰ ভিতৰত যিসকলৰ পৰ্ব্বতীয়া আৰু গাঁৱলীয়া মানুহৰ জাতীয় জীৱনৰ বিষয়ে অভিজ্ঞতা আছে সেইসকলে এই ঠাইৰতে কোৱা কথা বহলাই বুজিবলৈ টান পোৱা নাই চাগে। পৰ্ব্বতীয়া জাতিৰ মেল-দোৱান গাঁৱলীয়া সমাজৰ চালিচ পকায়ত, শিক্ষিত নগৰীয়াৰ সভা-সমিতি, এইবিলাক সন্মেলনৰ সৰু আৰ্হি নহয় যে কি? কোৱা বাহুল্য মাথোন যে শাসন-পদ্ধতিৰ গাতো সন্মেলনৰ সৰু আৰ্হি বৰ্ত্তমান। এতেকে "অসম ছাত্ৰ-সন্মেলন"ৰপৰা সমূহ অসমীয়া ছাত্ৰৰ উন্নতিৰ অৰ্থে সুবিধা লৈ গুটীয়া কাৰ্য্যত সহায়তা আশা কৰাটো অসমীয়া ছাত্ৰৰ পক্ষে যে সন্তত হাবিয়াস, তাক দোহাৰি কোৱাত বাজে তাৰ পাত বঢ়োৱাৰ সকাম নাই।

সন্মেলনৰ শক্তি যেনে প্ৰবল, তাৰ কাৰ্য্যও তেনে প্ৰখৰ আৰু তাৰ বিফলতাও বিৰল। 'বাইজে নথ জোকাৰিলে নৈ বয়', 'সৰহীয়াৰ ছালশিঙীয়াই হওক' এই নীতি-বাক্যই পাক লাগি তাকেইহে সমৰ্থন কৰে। আন কথাৰে কবলৈ গলে, সম্মিলিত শক্তিয়েই একতাৰ বল, যি বলৰ বিষয়ে আপোনাসকলে অনেক গ্ৰন্থ অনেক প্ৰবন্ধ লিখিছে আৰু পঢ়িছে আৰু যি বিষয়টো আজি ইমান পুৰণি, ইমান চিনাকি আৰু ইমান ঘৰুৱা হৈ পৰিছে যে তাৰ সম্পৰ্কে পঢাশলীয়া সৰু সৰু ছাত্ৰৰেও দুআষাৰ কৰজনা হৈছে। শক্তিৰ সম্মিলন বা একতাৰ অৰ্থে যি একাগ্ৰতাৰ প্ৰয়োজন সেই একাগ্ৰতা ছাত্ৰজীৱনত ভৰপূৰ। এই বিষয়ে যথাঠাইতে আকৌ উম্ভুকিওৱা হব। এতেকে ছাত্ৰশক্তিৰ সন্মেলনত যে অনেক অসাধাৰণ কাৰ্য্য সাধিত হব পাৰে আৰু তাৰ বিফলতাও যে বিৰল তাক পাণ্ডলিৰৰ সকাম নাই। ছাত্ৰৰ সম্মিলিত শক্তিৰ দ্বাৰা পৃথিৱীত যিবিলাক মহৎ কাৰ্য্য সম্পাদিত হৈছে, তাৰ অলেখ পটন্তৰ আপোনাসকলে গ্ৰন্থাদিত অৱশ্যে পাইছে।

এইখিনিতে ছেগ বুজি সন্মেলনৰ ছাত্ৰমণ্ডলীক সিবিলাকৰ এটি বৰ লাগতিয়াল সকামলৈ সোঁৱৰাই দি, একোবাৰ কোৱা যায় যে চচিয়েল চাৰ্ভিচ লীগ বা "সমাজ সেৱক সমিতি" বুলি সম্মিলিত ছাত্ৰশক্তিত এটি খুঁটি বোৱাই অসমীয়া সমাজ-ক্ষেত্ৰৰ ক্ৰমোন্নতি সাধিবলৈ যি সুপ্ৰভাৱ চলিছে তাক সোনকালে কাৰ্য্যত লগাবলৈ সুভত দিহা হয় যেন। মহাত্মা গোখেলৰদ্বাৰা প্ৰতিষ্ঠিত "চাৰ্ভেন্ট অৱ ইণ্ডিয়া চচাইটি" ইয়াৰ আৰ্হি হোৱা বাঞ্ছনীয়। এই শক্তি-খুঁটিৰ আগন্ত ছাত্ৰৰ কৰ্ত্তব্য জালেমাল জিজিকি

আছে। তাৰ ভিতৰৰ বাছি বাছি গোটাচেৰেকলৈ আঙুলিয়াই দেখুৱাই দিয়া যায়। যেনে, (১) গাঁৱলীয়া খাদ্যৰ উন্নতি বিধানৰ অৰ্থে ছেগ বুজি উপদেশ আৰু কাৰ্য্যৰ পটন্তৰে লৈতে সহায়তা কৰা, (২) খেতি-পথাৰ, বেহা-বেপাৰ, শ্ৰমশিল্প ইত্যাদিৰ উন্নতি সাধিবলৈ অশিক্ষিত গাঁৱলীয়া সমাজক চল পালেই সাকৰা উপদেশেৰে উদগনি দিয়া, (৩) অসম দেশৰ এৰী, পাট, মুগা, মেজাঙ্কৰী আদি অতি উত্তম আৰু বহুমূলীয়া সূতা আৰু তাৰদ্বাৰা যুক্ত কৰা বিচক্ষণীয়া কাপোৰ-কানিৰ বেহা-বেপাৰ আৰু ব্যৱহাৰৰ পৰি যোৱা কাৰবাৰ আকৌ তুলিবলৈ বৰ্ত্তমানৰ বিজতৰীয়া ভিজেনেৰেটৌ অসমীয়া সমাজক বুদ্ধি-পৰামৰ্শ দিয়া, (৪) অসমীয়া তিৰোতাৰ হাতৰ কাম, অসমীয়া গৃহিণীৰ সবাতোকৈ ভাল গুণ, অসমীয়া জীয়াৰীৰ সৰ্ব্বোচ্চ সাংসাৰিক মহলাৰ বিষয় অসমীয়া শিপিনী-কাৰ্য্যৰ শ্ৰীবৃদ্ধিৰ অৰ্থে ঘৰে-পৰে উৎসাহ আৰু উপদেশ দিবলৈ ছেগ লোৱা, (৫) অসমীয়া সমাজত অন্ধবিশ্বাস বা কুসংস্কাৰে ঘটোৱা অপায় অমঙ্গল আদি খণ্ডাবলৈ অশিক্ষিত মানুহক জ্ঞানৰ পোহৰেৰে প্ৰকৃত তত্ত্ব দেখুৱাই দি সমাজ-সংস্কাৰ সাধিবলৈ সুযোগ বিচৰা, (৬) গাঁৱলীয়া মানুহৰ মাজত পাঠক সমাজ (ৰিডিং-পাব্লিক) গঠন কৰাই তাত দেশৰ আৰু সমাজৰ উপকাৰী সৰু গ্ৰন্থ, সহজ প্ৰবন্ধ, বাতৰি কাকত আদি পঢ়াৰ বাপ বহুৱাবলৈ পাৰ্য্যমানে চেষ্টা কৰা, (৭) গাঁৱলীয়া ল'ৰা আৰু অভিভাৱকৰ মানত ধৰাবন্ধা শিক্ষাৰ (কম্পালচৰী এডুকেছন) বাগী বহুৱাবলৈ যত্ন কৰা ইত্যাদি। ইয়াত বাজেও এনে অনেক কৰ্ত্তব্য আছে যিবোৰ আপোনা-আপুনি কাৰ্য্য-ক্ষেত্ৰত আপোনাসকলৰ চকুত পৰি গৈ থাকিব। এনেবিলাক উদ্দেশ্যে চচিয়েল চাৰ্ভিচ লীগ নামে যি সেৱক সমিতি অসম ছাত্ৰ সন্মেলনে গঠিত কৰিবলৈ পাতিছে, সি যে দেশহিতকৰ এটি মহৎ অনুষ্ঠান তাত অলপো সন্দেহ নাই। বৰ সুখৰ বিষয়, এই সন্মেলনৰ নিৰ্দ্ধাৰিত কাৰ্য্যৰ সামৰণিৰ পিছত, এই মণ্ডপতে সেই সমিতি গঠনৰ বিষয়ে আলোচনা কৰা যাব বুলি ছাত্ৰ-নেতা এজাক্মণৰ আগধৰি জানিবলৈ পোৱা গৈছে। আশা কৰোঁ ইয়াৰ নিয়ম-প্ৰণালী বাজোনত উপস্থিত সমবুজা বিজ্ঞলোকসকলৰপৰা ছাত্ৰসকলে সহানুভূতি আৰু সৎ পৰামৰ্শ লাভ কৰিব।

কিন্তু এইখিনিতে একেৰি সতৰ্ক হবলগীয়া যে সমূহৰ কৰ্ত্তব্য পালন কৰোঁতে যেন গুটীয়াৰ কৰ্ত্তব্যলৈ পিঠি দিয়াটো কেতিয়াও নহয়। কিয়নো যি গুটীয়াকৈ ধা কৰিব নোৱাৰে, তাৰ সহযোগিতাই সমূহৰ শ্ৰীবৃদ্ধিত ভাল গুণ দিব নোৱাৰে। ছাত্ৰৰ গাত এই কথা বিশেষকৈ খাটে। যি ছাত্ৰই সমূহৰ কামত উধাতু হৈ লাগি স্বকীয়া শিক্ষালৈ আওকাণ কৰে, সেই ছাত্ৰই প্ৰথমতে গুটীয়াকৈ আওৰাব নোৱাৰি পাছ পৰে, সেইহে তেওঁ সমূহৰ লগত উধাবলৈকো অপাৰগ হয়। গতিকে সেই ছাত্ৰৰ সেই ধাউতিৰপৰা স্বকীয়া আৰু সমূহীয়া লাভতকৈ ক্ষতি বেছি হয়। বৰ সন্তোষৰ কথা যে এতিয়ালৈকে অসম ছাত্ৰ-সন্মেলনত এই আশঙ্কাৰ কেবোপে ধৰা আমি দেখা নাইহক। যোৱা ছবছৰে এই সন্মেলনে গন্তব্য বাটে যিদৰে আগুৱাইছে, তাৰ আভাসৰ পোহৰেৰে চাই পঠিয়ালে ইয়াৰ ভৱিষ্যত বৰ পোহৰ দেখা যায়।

দ্বিতীয় থাপি উদ্দেশ্যৰ সকম্ম হৈছে ছাত্ৰসকলৰ সাহিত্যিক শক্তিৰ ক্ৰমোন্নতি সাধন কৰা। এইথাপি উদ্দেশ্য প্ৰথম থাপিৰ সবাতোকৈ ভাল লক্ষ্যস্থল বুলিলে বঢ়াই কোৱা নহব। গুটীয়াৰ উন্নতিৰে সমূহক আৰু সমূহৰ উন্নতিৰে গুটীয়াক সহায়তা কৰা, এই সুযোগতে দ্বিতীয় উদ্দেশ্যৰ অধিকাৰ অধিক। ছাত্ৰজীৱনেই সাহিত্যিক জীৱনৰ গা-গজালি। এই গজালিৰপৰাই গছ, আৰু সেই গছৰপৰাই গুটি। আনকালে গছ চাইছে গুটি আৰু গজালি চাইছে গছ। গতিকে গজালিৰ গঠনৰ গুণৰক্তহে গুটিৰ গুণাগুণে বাইকৈ নিৰ্ভৰ কৰে। এতেকে জাতীয় সাহিত্য-গছৰ শ্ৰীবৃদ্ধি সাধি তাৰপৰা উন্নত আৰু পৈণত ফল পাবলৈ হলে প্ৰথমে ছাত্ৰ-গজালিৰ ভৰিত সাহিত্যৰ সাৰ-শক্তি যতনেৰে যোগাব লাগে। গজালিৰ কুমলীয়া গাত যাতে কেবোপে ধৰিবলৈ নাপায়, তাৰ নিমিত্তে সজতে সতৰ্ক থাকিব লাগে। মূঠতে গছ হৈ উঠালৈকে গজালিয়ে যুকত আপডাল পাব লাগে। পিছে সেই সাৰ-শক্তিনো কি আৰু তাক কি প্ৰণালীৰে যোগান দি, কিভাবে গজালিৰ সাৰধান

লোৱা যুগুত ? সেই সাৰ হৈছে সাহিত্য-চৰ্চ্চাৰ অভ্যাস, তাক যোগান দিয়াৰ প্ৰণালী হৈছে ছাত্ৰৰ দৈনন্দিন অধ্যয়নৰ লগতীয়াকৈ তাৰ অনুশীলন বঢ়োৱা আৰু সতৰ্কভাৱে বিধিমতে সেই অনুশীলন এনে বান্ধৰ হব লাগে যাতে অধ্যয়নৰ অপৰাধৰ অজৰে পিঠি দি ছাত্ৰই অকল সাহিত্যিক চৰ্চ্চাৰ বাটে ছুৱাকাটি নাযায়গৈ। অৱশ্তে যি ছাত্ৰৰ স্বাভাৱিক ৰাপ এই বিষয়ত প্ৰবল, তেওঁৰ ধাউতি সেইফালে কোবাল নহৈ নোৱাৰে। তাৰপৰা সেই ছাত্ৰৰ অনিষ্ট নহৈ কালত গুটীয়াৰ আৰু সমূহৰ ইষ্ট লাভ হবলৈহে আছে। বিশেষতঃ যাৰ সেই ৰাপ আজন্ম, তেওঁৰ ধাউতিও অবাৰিত। তাত ভেটা দিবলৈ গলে প্ৰবাহিত নৈৰ দৰে সি ওপচনি হৈ পাৰ বাগৰি কাষৰীয়া ক্ষেত্ৰ ঢৌৱাই ৰবলৈ ধৰিব। তাৰপৰা গুটীয়াৰ আৰু সমূহৰ লাভ হবলৈকো আছে, ক্ষতিৰ আশঙ্কাও সুগুচে। লাভ এই যে আজন্ম প্ৰতিভাই প্ৰতিভাত হবলৈ অবাৰিত বাট পালে সি সংসাৰত অসাধাৰণ উদাহৰণ থিয় কৰাব পাৰে। ক্ষতি এই যে, সংসাৰৰ পাকত সুযুৰা স্বভাৱজ কোবাল সাহিত্যিক-শক্তিয়ে থল বুজি ওথ-চাপৰ ভেঁটা চেৰাই ৰবলৈ নাপালে অপৰিমিত বোৱনৰ ফলত সোনকালে মূলত সাৰ শক্তি-শূন্য হৈ অকালত সি অস্তিত্ব হেৰোৱাৰো আশঙ্কা থাকে। দুয়ো বিধৰ পটন্তৰৰ অভাৱ নাই আৰু তেনে পটন্তৰ এই বক্তাতকৈ বোধ কৰোঁ আপোনাসকলে সৰহকৈহে দিব পাৰিব। গতিকে বক্তৃতাৰ দীঘ বঢ়োৱাৰ ভয়ত তাৰপৰা ক্ষান্ত হোৱা গল। ছাত্ৰৰ সাহিত্যিক-শক্তিয়ে যে সংযত-ভাৱে বাট পোৱা বিধেয়, সংসাৰৰ অভিজ্ঞতা থকা জ্ঞানী-জনে তাত ভুল নাই বুলি কয়। এনে সংযতভাৱে বাট পোৱা ছাত্ৰৰ সাহিত্যিক শক্তিয়ে কালত দেশৰ অশেষ কল্যাণ সাধন কৰাৰ পটন্তৰ পৃথিৱীৰ বুৰঞ্জীত বুৰি বুৰিকৈ পোৱা যায়। তাৰ ভিতৰৰ এটি মাত্ৰোন আপোনাসকলৰ নিজৰ দেশৰ, নিজৰ ঘৰৰ সুপৰিচিত পটন্তৰ দাঙি ধৰোঁ। তেওঁ অসমীয়া সাহিত্যৰ ওজা মহাত্মা হেমচন্দ্ৰ বৰুৱা। কাৰলভিৰ তলত লুকাই ইংৰাজী সাহিত্যৰ আদিপাঠ লৈ পাদ্ৰী চাহাবৰ ওচৰত ইংৰাজী শিকি আৰু সেই ছেগতে চাহাবক অসমীয়া শিকাই পণ্ডিত হোৱা হেমচন্দ্ৰই অসমীয়া আৰু ইংৰাজী সাহিত্যত যি অসাধাৰণ ব্যুৎপত্তি লাভ কৰিছিল তাক আপোনাসকলে বেছকৈ জানে। সেই হেমচন্দ্ৰ বৰুৱাই স্কুল-কলেজ দেখা নাছিল যদিও তেওঁ ছাত্ৰ, কাৰণ 'ছাত্ৰ' শব্দৰ অৰ্থক অসম ছাত্ৰ-সম্মেলনৰ নিয়মাৱলীয়ে সীমাৰ ভিতৰত আটক কৰি ৰাখিছে, তাক এইখিনিত এই বক্তাই সেই ঠেক টোলৰ ভিতৰত থৈ সেই বিষয়ে কোৱা নাই। এইখিনিত ছাত্ৰ-জীৱন মানে মানুহৰ অধ্যয়ন আৰু শিক্ষাৰ গোটেই কালটো বুলিহে ধৰা হৈছে। সেই কাল কোনো কোনো জনৰ পক্ষে আজীৱনো হব পাৰে।

ছাত্ৰ-সম্মেলনে ছাত্ৰৰ সাহিত্যিক-শক্তিৰ ক্ৰমোন্নতি কেনেকৈ সাধিব তাৰ অলপ আলচ পাতি চোৱা হওক। ছাত্ৰ-জীৱনত গুটীয়াকৈ যি সাহিত্যিক জ্ঞান লাভ হয়, সি নচঁচা বাঁহৰ নিচিনা 'ৰ মেটেৰিয়েল'। কামত লগোৱাৰ আগলৈকে বাঁহ যিদৰে বাঁহেইহে, বিষয়ত বিয়পি নপৰালৈকে সেইদৰে সেই জ্ঞান জ্ঞানেইহে। গোটা বাঁহ ফালি কাঠী-কামি চাঁচি তাক সংসাৰৰ বিবিধ ব্যৱহাৰত লগালেহে তাৰ উপযোগিতা উপলব্ধি কৰা যায়। সেইদৰে গুটীয়া ছাত্ৰৰ সাহিত্যিক শক্তিও বিভিন্ন বিষয়ত লগালেহে তাৰ কাৰ্য্যকৰী গুণ বুজা যায়। বাঁহৰ উপযোগিতা ফলিয়াবলৈ যেনেকৈ বৈষয়িক কাৰ্য্যক্ষেত্ৰ, সাহিত্যিক শক্তিৰ বিকাশলৈকো তেনেকৈ সাহিত্য চৰ্চ্চাৰ সম্বন্ধযুক্ত বিবিধ উদ্দেশ্য বিশিষ্ট সম্মেলনী। অসম ছাত্ৰ-সম্মেলনত সাহিত্য অন্তৰে চাঁচিবলগীয়া যিবিলাক বিষয় আগত লোৱা হৈছে, সেইবিলাক বিষয় চৰ্চ্চা আৰু আলোচনাত ধৰিবলৈ গ্ৰন্থ, প্ৰবন্ধ, কবিতা, সঙ্গীত ইত্যাদি ৰচনাৰ নিয়ম বন্ধ হৈছে। পাৰ্যমানে পুৰণি সাহিত্য-সম্পদ সংগ্ৰহ কৰি তাৰ সংস্কাৰ সাধন কৰাও ছাত্ৰ-সম্মেলনৰ আন এটা নিয়ম। লোপ পাবলৈ ধৰা অসমীয়া সাধুকথা, ফকৰা, যোজনা, বিয়ানাম, পূজা-প্ৰসঙ্গীয়া নাম, বিহুনাম, গৰখীয়া গীত, এইবোৰ উদ্ধাৰ কৰি যতনেৰে ৰক্ষা কৰাও সম্মেলনৰ অন্যতম নিয়ম। এইবোৰ নিয়ম পালন নকৰিলে অসম ছাত্ৰ-সম্মেলনৰ মাজত টিকিবলৈ টান, গতিকে সেই নিয়মেই পাক লগাই ছাত্ৰৰ সাহিত্যিক শক্তিৰ ক্ৰমোন্নতিলৈ বাট

চোতাই থৈছে। এনে পোন, মুকলি আৰু স্বৰূপ পথেদি যে ছাত্ৰৰ সাহিত্যিক শক্তিয়ে ক্ৰমাৎ উন্নতি লাভ কৰিব তাত সংশয় নাই।

সাহিত্য মাত্ৰেই সেৱনীয়। পৃথিৱীৰ সমস্ত সাহিত্যত যাৰ অধিকাৰ তেওঁ পৃথিৱীৰ প্ৰধান সন্তান। তেওঁ মানৱৰ জনক-জননীৰ স্থানীয়। যি যিমানবিলাক সাহিত্যত অধিকাৰ লাভ কৰে সি সিমান সেই আদৰ্শ সন্তানৰ ওচৰ চাপে। কিন্তু সকলো সাহিত্যত সমান যদিও চৰ্চ্চাৰ স্থলত কাৰোবাৰ ৰুচি-বৃত্তিয়ে কোনোবা সাহিত্যলৈ বেছিকৈ চাল লয় আৰু সেই অনুযায়ী সেই জনৰ স্বকীয়া সাহিত্যিক শক্তিৰ ক্ৰমোন্নতি হবলৈ ধৰে। ইয়াৰ পটন্তৰৰ লেখ বঢ়াই বক্তৃতাৰ দীঘ নবঢাই আপোনাসকলৰ দেশৰে, আপোনা-সকলৰ ঘৰৰে এজন অসাধাৰণ পণ্ডিতৰ নাম লৈয়ে তাৰ অন্ত পেলাওঁ। তেওঁ মহাত্মা আনন্দৰাম বৰুৱা। ইংৰাজী সাহিত্যৰ সেৱক, ইংৰাজী সাহিত্যৰ সাজেৰে বিভূষিত আনন্দৰামৰ সংস্কৃত সাহিত্যিক শক্তিৰ ক্ৰমোন্নতি কেনেকৈ হৈছিল, তাক আলচি চোৱাৰ বাব আপোনাসকলকে দিয়া গল। এই বক্তৃতাত তালৈ ঠায়ে নাটিব। একে ছেগতে আৰু এজন মহা সাহিত্যিকৰ নাম লব পাৰি। তেওঁ মহাত্মা মেক্সমূলাৰ। এই জাৰ্ম্মান ছাত্ৰজনৰ আকৌ সংস্কৃত সাহিত্যত কেনেকৈ সিমান ৰাপ বাঢ়িছিল, কেনেকৈ তেওঁ তাত অগাধ ব্যুৎপত্তি লাভ কৰি সংস্কৃত সাহিত্যিক শক্তিৰ প্ৰভাবে জগতক চমক লগাইছিল, সি কৌতূহলৰ বিষয়। সেই বিষয়েও আপোনাসকলে এই সন্মেলনৰ নিৰ্দ্ধাৰিত সময়ৰ পিচত আলচি চাবলৈ আগবঢ়াই দিয়া হল।

তৃতীয় থাপি উদ্দেশ্য তিনিমূৰীয়া—'মানসিক, আধ্যাত্মিক আৰু শাৰীৰিক শক্তিৰ পৰিচালনাত সহায়তা কৰা।' মানৱ জীৱনৰ যেনে থাপিত মানুহ তিনিমূৰীয়া হয়গৈ, ছাত্ৰ-সন্মেলনৰ তেনে থাপিতে তাৰ উদ্দেশ্য উক্ত তিনি শক্তিত তিনিমূৰীয়া হৈছে। কিন্তু এই বক্তৃতাত সেই তিনিৰ শাৰীৰিক শক্তি আগত লৈ, মানসিকক মাজত থৈ, আধ্যাত্মিক শক্তিক শেহলৈ নি, অসম ছাত্ৰ-সন্মেলনৰ নিয়মাৱলীত বন্ধা এই থাপি উদ্দেশ্যৰ সূত্ৰত অলপ সাল-সলনি ঘটোৱা হব। কিয়নো শৰীৰেই মন আৰু আত্মাৰ ভিৰণি স্থল। শৰীৰৰ বল-বৃদ্ধিয়ে মনক সবল কৰে আৰু সবল মনে আত্মাক বলী কৰে। শৰীৰ দুৰ্ব্বল হলে মনো দুৰ্ব্বল হয় আৰু মনৰ দুৰ্ব্বলতাই আত্মাকো দুৰ্ব্বল কৰে। সেই কাৰণে শাৰীৰিক শক্তিৰ ক্ৰমোন্নতি আটাইতকৈ আগ। মানসিকৰ মাজ আৰু আধ্যাত্মিক শক্তিৰ উন্নতি শেহ কৰি চলাটো বেছি স্বাভাৱিক যেন বোধ হয়। প্ৰাচ্য শিক্ষা-পদ্ধতিত ইয়াৰ বিপৰ্য্যয় ঘটিলেও, পাশ্চাত্য পদ্ধতিত এই নিয়ম নিয়াৰিকৈ পালন কৰা দেখা যায় আৰু এই বিভিন্ন পদ্ধতিৰ গুণানুসাৰেই প্ৰাচ্য আৰু পাশ্চাত্য ছাত্ৰৰ জীৱন গঠনতো হীন ডেটি ঘটে। মানসিকক মাজৰপৰা এফলীয়াকৈ থৈ যদি শাৰীৰিক আৰু আধ্যাত্মিক শক্তিৰ জোখত স্বকীয়াকৈ জুখি চোৱা যায় তেন্তে শাৰীৰিকত পাশ্চাত্য আৰু আধ্যাত্মিকও প্ৰাচ্য ছাত্ৰই গধুৰ বোলাব। তাৰ ফলস্বৰূপে আজিকালি সততে দেখা যায় যে পাশ্চাত্য ছাত্ৰ হৃষ্টপুষ্ট আৰু প্ৰাচ্য ছাত্ৰ জীৰ্ণ শীৰ্ণ। স্কুল কলেজৰপৰা ওলাই সংসাৰত সোমাবৰ সময়ত পাশ্চাত্য ছাত্ৰ সবল আৰু প্ৰাচ্যৰ ছাত্ৰ দুৰ্ব্বল। সেই অনুক্ৰমে সিবিলাকৰ সাংসাৰিক জীৱনৰ প্ৰতিপত্তিতো হীন-ডেটি আছে। আগৰ দিনত অৱশ্যে প্ৰাচ্য ছাত্ৰৰ পক্ষে এই ৰীতি অহিতকৰ নাছিল বৰঞ্চ তাৰ গুণত তেতিয়া সিবিলাকে প্ৰতিপত্তিহে লাভ কৰিছিল। কিন্তু এতিয়া সেই দিন নাই। পাশ্চাত্য শিক্ষা আৰু সভ্যতাৰ ইয়াত এক অপূৰ্ব্ব আধিপত্য চলিছে। গতিকে প্ৰাচ্য ছাত্ৰই আজিকালি সেই কালিৰ ৰীতি সম্পূৰ্ণে এৰাটো বিধেয় নহয় যদিও তাৰ সাময়িক সালসলনি ঘটাব লগা হৈছে। প্ৰাচ্য আৰু পাশ্চাত্যৰ সামঞ্জস্য ঘটাই এটি অভিনৱ পন্থা অৱলম্বন কৰিবৰ দিন পৰিছে। সেই সামঞ্জস্যৰ কথা উল্লিখিওৱাহে হল। তাৰ বহল ব্যাখ্যা আন এটা ছেগত স্বকীয়াকৈ আন এগৰাকী বিজ্ঞতম বক্তাৰপৰা লাভ কৰিবলৈ আপোনাসকলৰ মনত থাকে যেন, কাৰণ আন কথা-প্ৰসঙ্গত কৈ পালমৰা-বিধৰ বিষয় ই নহয়। সেই বুলি যে সেই বিষয়ত নিশ্চেষ্ট হবলৈ কোৱা গৈছে এনে নাভাবিব, বৰঞ্চ তাৰ আভাস মাত্ৰ আগত লৈ চলিলেও সেই বাঞ্ছিত সামঞ্জস্য স্বভাৱতে লাভ নহৈ

নাথাকে। কিন্তু দেশ-কাল-পাত্ৰ ভেদে অগা-পিছা হলেও ওপৰত কোৱা তিনিও বিধ শক্তিৰ পৰিচালনা যে ছাত্ৰ-জীৱনত হব লাগে তাত সন্দেহ নাই ; মাথোন আধ্যাত্মিক শক্তিৰ পৰিচালনা নিয়মীয়া কৰি শাৰীৰিক আৰু মানসিক শক্তিৰ কাৰ্য্যক্ষেত্ৰ পাৰ্যমানে বহলাবলৈ চাব লাগে। প্ৰকৃতপক্ষে আধ্যাত্মিক শক্তি বা চিন্তা যি, তাৰ কাৰ্য্যক্ষেত্ৰ ছাত্ৰজীৱন নহয়, সাংসাৰিক জীৱনবো শেহ ছোৱাহে। ছাত্ৰজীৱনত আধ্যাত্মিক চৰ্চ্চা ইমানেই যথেষ্ট যাৰদ্বাৰা ছাত্ৰৰ চৰিত্ৰ সংগঠিত হব পাৰে। গতিকে এই বক্তৃতাত সেই বিষয়ে বহল ব্যাখ্যা শুনিবলৈ আশা নৰখাই ভাল, বিশেষতঃ আধ্যাত্মিকত এই বক্তাৰ অধিকাৰ এতিয়াও বহল নৌ হয় এনেহেঁ। এই প্ৰসঙ্গত তেওঁ ইমানকে মাথোন সঙ্কেত দিব খোজে যে অসম ছাত্ৰ-সন্মেলনৰ পোন-প্ৰথম অধিবেশনত তাৰ সুবিজ্ঞ সভাপতিৰ সম্ভাষণত আধ্যাত্মিক তত্ত্ব আপোনাসকলে যি পাই থৈছে তাক নিজা কৰি লব পাৰিলেও সেই বিষয়ক জ্ঞান ছাত্ৰজীৱনৰ আৱশ্যকতাতকৈও অধিকহে হব। কিন্তু ছাত্ৰজীৱনত শাৰীৰিক আৰু মানসিক শক্তিৰ পৰিচালনা যে সমভাৱে হোৱা উচিত তাক দোহাৰি কোৱা যায়। আনকি এই সম্পৰ্কত প্ৰাচ্য আৰু পাশ্চাত্যৰ ভেদাভেদো নাই। দুয়ো বিধ ছাত্ৰৰ পক্ষে এই নিয়ম অপৰিহাৰ্য্য। পিছে পাশ্চাত্য ছাত্ৰই তাক মানিছে দেখি আজিকালি সিবিলাক সততে সবল আৰু দীৰ্ঘায়ু আৰু প্ৰাচ্য ছাত্ৰই তালৈ অৱজ্ঞা কৰে কাৰণে ইবিলাক সাধাৰণতে দুৰ্ব্বল আৰু অল্পায়ু। দীৰ্ঘায়ুৰ পটন্তৰ দিবলৈ হাবাথুৰি খোৱাৰ সকাম নাই। অল্পায়ুৰ উদাহৰণ আপেনাসকলৰ স্মৃতি-ভক্তিৰ অধিকাৰী আনন্দৰাম ঢেকিয়াল ফুকন, আনন্দৰাম বৰুৱা আৰু গোপালকৃষ্ণ গোখেল। এই তিনিজন অসাধাৰণ প্ৰতিভাশালী ভাৰত-সন্তানৰ নাম লগেই যথেষ্ট হব। শাৰীৰিক আৰু মানসিক শক্তিৰ পৰিচালনা সমানে হবলৈ নোপোৱাৰপৰাই যে প্ৰতিভাৰ সেই বন্তি তিনটি অকালতে নুমাল তাত সন্দেহ নিচেই নাই। কিন্তু এটা জটিল প্ৰশ্ন এই হব পাৰে যে সেইসকলৰ নিচিনা গুণী-জ্ঞানী আৰু প্ৰতিভাশালী পুৰুষেনো সেই সাধাৰণ নীতি নুবুজিছিল নে? বুজিছিল যদি কিয় তালৈ সিবিলাকৰ আওকাণ হৈছিল? ইয়াৰ উত্তৰ অলপ পিছতে আপোনা-আপুনি ওলাই পৰিব।

অসম ছাত্ৰ-সন্মেলনৰ নিয়মতন্ত্ৰত ব্যৱহৃত 'ছাত্ৰ' শব্দ-টোৱে কোনো বিদ্যালয়ৰ শিক্ষাৰ্থী দলত নামভুক্ত জনকহে বুজায় আৰু তাৰ আগেয়ে আৰম্ভণতে এইটোও কৈ থোৱা হৈছে, এই সন্মেলনত কোনো ৰাজনৈতিক আলোচনা হব নোৱাৰে। গতিকে সেইমতে ছাত্ৰ-শিক্ষাত সংসাৰৰ কিছুমান শ্ৰেষ্ঠ আৰু লাগতিয়াল বিষয় বাদ পৰি যায় ; যিবিলাক বিষয়ৰ অনুশীলন আৰু কাৰ্য্য ছাত্ৰজীৱন পাৰ হৈ ধৰিবলৈ থোৱা হৈছে। এই নিয়মতন্ত্ৰ আজিৰ নহয়, অসম ছাত্ৰ-সন্মেলনে ইয়াৰ অৱতাৰণা নতুনকৈ কৰা নাই। ই প্ৰাচ্য সমাজৰ পুৰণিকলীয়া নীতি। এই নীতি আজিৰ প্ৰাচ্য ছাত্ৰসমাজে যিভাৱে আগত লৈছে, ইয়াৰ পূৰ্ব্বপুৰুষতে ইয়াক সেই ভাৱেই বা তাতকৈও নিমজকৈ পালন কৰা হৈছিল। কিন্তু আজিৰ সংসাৰত এনে কিছুমান অতি লাগতিয়াল আৰু দায়িত্বপূৰ্ণ বহল বিষয় আছে, যাক সহজে আৰু সোনকালে আয়ত্ত কৰি উঠা টান। অথচ দেশৰ অভাৱ আৰু অৱস্থা চাই দেশ-হিতৈষিতাৰ আলোচনা আৰু অনুশীলনলৈ যথেষ্ট সময় আৰু সুবিধা দিবও নোৱাৰি বা স্বদেশপ্ৰেমিকে সেই অভাৱ আৰু অৱস্থা চাই সময় আৰু সুবিধালৈ বাট চাবও নোৱাৰাত পৰে। গতিকে ভোকত গৰাহ ডাঙৰ কৰি মুখ ফলাৰ দৰে, অনেকে শক্তিৰ অতিৰিক্তকৈ দেশ-হিতকৰ কাৰ্য্যত ধৰি অকালত স্বাস্থ্য হেৰুৱাই মাৰ যাবলগাত পৰে। এই ৰীতিত প্ৰাচ্য সমাজৰ ৰাপ বেছি কাৰণেই প্ৰাচ্য ছাত্ৰৰ অকাল পতনৰ লেখ সৰহ। অসমৰত্ন আনন্দৰাম ঢেকিয়াল ফুকন, ভাৰতৰত্ন গোপালকৃষ্ণ গোখেল, এইসকল তাৰ জ্বলন্ত পটন্তৰ। আপোনাসকলে জানে, ঢেকিয়াল ফুকনৰ জীৱনকাল মুঠেই ২৯ বছৰ। ইয়াৰ ভিতৰতে তেওঁ মানৱ জীৱনৰ আটাই কেওখাপি পাৰ হবলগা হৈছিল। ইয়াৰ ভিতৰতে তেওঁ ছাত্ৰ, গৃহস্থী আৰু দেশ-হিতৈষীৰ আদৰ্শ পুৰুষ হৈ জিলিকি-ছিল। ইয়াৰ ভিতৰতে তেওঁ যিমানখিনি মহৎ কাম কৰি উঠিছিল, সেইদৰৰ সিমানখিনি কাম এটা সুদীৰ্ঘ জীৱনতো কৰি উঠা অনেকৰ পক্ষে সম্ভৱপৰ নহয়। দুখৰ বিষয়

আমাৰ দেশত আমাৰ ভাষাত আমাৰ জাতীয় সম্পূৰ্ণ জীৱন-চৰিত নাই। থকা হলে আপোনাসকলে আনন্দৰাম ঢেকিয়াল ফুকনৰ সামাজিক, সাহিত্যিক আৰু ৰাজনৈতিক জীৱনৰ অসাধাৰণ কাহিনী পঢ়ি আনন্দত বিস্ময় মানিলে-হেঁতেন। সামাজিক জীৱনত আনন্দৰাম গাঁৱলীয়াৰ লগত গাঁৱলীয়া, নগৰীয়াৰ সঙ্গত নগৰীয়া, চাহাবৰ মাজত চাহাবী ভাবৰ আছিল। এনেকি এই স্বকীয়া আচৰণৰ মানুহৰ লগত বহা-মেলাৰ ব্যৱস্থাও তেওঁৰ ঘৰত স্বকীয়া আছিল,—গাঁৱলীয়া ভদ্ৰলোকক সোধোঁতে তেওঁ কঠ-ঢৰা ব্যৱহাৰ কৰিছিল। নগৰীয়া বন্ধুৰে সৈতে বহোঁতে মূঢ়া-মাচিয়া ব্যৱহাৰ কৰিছিল। চাহাবসকলক সুধিবলৈ চাহাবী ধৰণেৰে সজোৱা স্বকীয়া কুঠৰী ৰাখিছিল। সাহিত্যিক জীৱনত আনন্দৰাম ফুকনে অসমীয়া আৰু ইংৰাজী সাহিত্যত তেওঁৰ অধিকাৰৰ যি চিন থৈ গৈছে, তাক মন পাৰি চালেই আপোনাসকলে তেওঁৰ সাহিত্যিক প্ৰতিভাৰ বিষয়ে স্বৰূপ ভাৱ লব পাৰিব। 'লৰা-মিত্ৰ' পুথি বৰ্ত্তমান যুগৰ অসমীয়া সাহিত্যৰ ভঁৰালত লখিমী। ৰাজনৈতিক জীৱনতো ঢেকিয়াল ফুকন অসাধাৰণ প্ৰতিভাৰ এটি উজ্জ্বল বন্তি আছিল। যি কেইপৰ সেই বন্তি জ্বলিছিল, সেই কেইপৰত চেঁচুকীয়া ডেঁকুৰা অসম তাৰ পোহৰত ভকভকীয়াকৈ জ্বলিছিল। অসমত বৃটিছ শাসন-পদ্ধতি সংঘটন কৰোঁতা বিখ্যাত ৰাজনৈতিক পণ্ডিত মিল চাহাবৰ অসম শাসন-প্ৰণালী বিষয়ক ৰিপোৰ্টৰ এটি প্ৰধান অঙ্গস্বৰূপে আনন্দৰাম ঢেকিয়াল ফুকনৰ শাসন-নীতি জ্ঞানৰ নিদৰ্শন অভগন হৈ জিলিকি আছে। কিন্তু হায়! অসমৰ সেই উজ্জ্বল বন্তি ছাত্ৰজীৱনৰ পিছত মুঠেই দহ বছৰমান জ্বলিয়েই অকালতে নুমাবলগীয়া হল। 'সৰস্বতীৰ বৰপুত্ৰ' নাম পোৱা অসমৰ অগাধ পণ্ডিত আনন্দৰাম বৰুৱাৰ বিষয়েও সেই একে দশা। এই অসাধাৰণ জীৱনীৰ বিষয়ে চমুকৈ কৈও আপোনাসকলৰ সময় খৰচ কৰিবৰ মন নাই, কাৰণ এই জীৱনী ছাত্ৰসকলৰ উপস্থিত আলোচনাৰ বিষয় হৈ আছেই। ভাৰতবৰ্ষ গোপালকৃষ্ণ গোখেলৰো নাম ললেই তেওঁৰ অসাধাৰণ জীৱনীৰ বিষয়ে কোৱা হয়। কাৰণ এইজনা ক্ষণজন্মা পুৰুষৰ অকাল বিয়োগ ঘটিবৰ সৰহ দিন হোৱা নাই। তেওঁৰ জীৱনীৰ সোৱৰণী আপোনাসকলৰ মনত তেজাল হৈয়ে আছে। আনন্দৰামৰ ৩১ বছৰত আৰু গোখেলৰ ৪৯ বছৰত বিয়োগ ঘটে। ই অকাল বিয়োগ নহয় নে? পিচে ইয়াৰ কাৰণ কি? ইয়াৰ কাৰণ বৰ্ত্তমান প্ৰাচ্য প্ৰথাৰ দোষ নহয় নে? কিন্তু সেই বুলি যে প্ৰাচ্য প্ৰথা নিন্দা কৰা হৈছে, তেনে ধাৰণা যেন গ্ৰহণ কৰা নহয়। বৰং প্ৰাচীন প্ৰাচ্য প্ৰথা সৰ্বাঙ্গীন পৰিপাটি আছিল। তেতিয়াৰ ব্ৰহ্মচৰ্য্য শিক্ষাৰ বলত শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক, তিনিওৰে সমভাৱে উৎকৰ্ষ সাধিত হৈছিল। তেতিয়া ৰাজযোগত শাৰীৰিক বিপুল উন্নতি লাভ হৈছিল। মানসিক উন্নতিয়েও তেতিয়া চৰম সীমা চুইছিল। আধ্যাত্মিক উন্নতিৰ কথা কবই নেলাগে। সি প্ৰাচ্য প্ৰথাৰ নিজস্ব গুণ। সেই কাৰণে প্ৰাচীন প্ৰাচ্য প্ৰথা অনুগামীসকলৰ ভিতৰত দীৰ্ঘজীৱী বীৰ পুৰুষৰ আটক নাছিল। সৃষ্টি-তত্ত্বগ্ৰাহী মানসিক উন্নতিশীল মুনি-ঋষিৰ লেখ তাকৰ নাছিল। আধ্যাত্মিক উন্নতিৰ শীৰ্ষস্থান লাভ কৰা সিদ্ধপুৰুষৰ অভাৱো নাছিল। যাখোন আজিৰ বিকৃত প্ৰাচ্য প্ৰথাইহে তাৰ অৱনতি ঘটাইছে আৰু তাৰ প্ৰধান কাৰণ হৈছে পাশ্চাত্য বিলাসিতা। এই বিলাসিতাৰ ৰাগীত মতলীয়া হৈ পূবৰ ভাৰতে পছিমৰ বিলাতী আও ভাও, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ সাজ লগাবলৈ যাওঁতে, ঘনচিৰিকাই ৰাজহংসৰ খোজ ধৰিবলৈ গৈ নিজৰ খোজো পাহৰি যি দশা পাইছিল, সেই দশা আজি প্ৰাচ্য সমাজৰ ভাগ্যত মিলিছে। পৰৰ দোষ এৰি গুণ লব নজনা অনুকৰণ-প্ৰিয় জাতি মাত্ৰেৰেই সেই দশা। আজিৰ প্ৰাচ্য প্ৰথামতে ছাত্ৰজীৱনত চাকৰি বা জীৱিকাৰ উপযোগী সাধাৰণ বা বিশেষ বিষয়ক শিখাপঢ়াত বাজে আন বিষয়ক শিক্ষা বা তাৰ অনুশীলন বৰ্জ্জিত। আজিৰ প্ৰাচ্যমত্ৰ মতে 'পঢ়ে পঢ়ায়, বোৱে পাণ, এই তিনি নিচিকে আন।' কিন্তু ইয়াৰ ভাৱাৰ্থ গ্ৰহণ কৰাত সেই নীতিৰ সেৱকসকলে সততে ভ্ৰম-প্ৰমাদত পৰে। সেই ভ্ৰান্তিৰ ফলস্বৰূপে আজিৰ প্ৰাচ্য ছাত্ৰই জীৱিকা আৰ্জ্জনৰ উপযোগী শিখাপঢ়াৰ বাজে আন লাগতিয়াল বিষয়ক শিক্ষাত মন লগাবলৈ বাধা পায়। ৰাজনৈতিক শিক্ষাতো চাৰিচাপৰ বাজ। সত্তিকে ছাত্ৰ-

জীৱন পাৰ হোৱা মাত্ৰকে সংসাৰৰ অপৰাপৰ লাগতিয়াল অথচ জটিল বিষয়ত অনাভুৱাকৈ ধৰিব লগাত পৰে। তাৰ পৰিণাম অভাৱনীয় ভ্ৰমপ্ৰমাদ আৰু অকাল নিৰ্ব্বাণ।

নিয়ম অমান্য কৰিব নোৱাৰি। অসম ছাত্ৰ-সম্মেলনৰ নিয়মে দঢ়াই কৈছে যে সেই সমাজত ৰাজনৈতিক বিষয়ক আলোচনা কৰিব নাপায়। গতিকে এই বিষয়ে দু-আষাৰ-মান কবলৈ এই বক্তাৰ প্ৰবল ইচ্ছা থকা স্বত্তেও তাৰপৰা ক্ষান্ত হোৱা গল। কিন্তু ৰাজনৈতিক আলোচনা ছাত্ৰ-সমাজত হব নাপায় কিয়, সেই বিষয়ে এনে সমাজত দু-আষাৰ বুজনি দিবলৈ গলেও কিয় দায় লাগে, তাকেহে সুধিবলৈ মন যায়। ছাত্ৰজীৱনত ৰাজনৈতিক শিক্ষা লাভ নোহোৱাত, অন্ততঃ তাৰ আভাসগ্ৰাহী হব নোৱাৰাত যে পিছত বুঢ়াশালিকা দেশহিতৈষীয়ে ৰাজনৈতিক মাত লব-লগাত পৰে আৰু তাৰ ফলত সেই গুৰুতৰ বিষয়ে কেৰ ভাঙি কথা কব নাজানি অনেকে অনেক বিধৰ প্ৰমাদ ঘটায়, এই কথা কোনে নাজানে? পিছে, ৰাজনীতি শিক্ষা কৰিলে ছাত্ৰ-ধৰ্ম্ম নষ্ট যোৱা নীতি প্ৰাচ্য নে পাশ্চাত্য? পাশ্চাত্য ৰাজনৈতিক পুৰুষৰ জীৱনী আলোচনা কৰি চালে জনা যায় যে সেইটো পাশ্চাত্য নীতি নহয়। হোৱা হলে সৰহ কব নালাগে, তাহানি ২৫ বছৰত মিঃ পিট চাহাবে বৃটিছৰাজ্যৰ প্ৰধানমন্ত্ৰীৰ আসন লোৱা আৰু আজি মিঃ মণ্টেগু চাহাবে ৩৭ বছৰত ভাৰতমন্ত্ৰীৰ বিষয় খোৱাটো সম্ভৱপৰ নহলহেঁতেন। আপোনাসকলে অৱশ্যে কব পাৰে যে আপোনাসকলৰ দেশনেতা পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ নিচিনা অসাধাৰণ ৰাজনৈতিক পুৰুষ উপজিছিল আৰু তেৰোঁ নিচেই ডেকাকালতে আহোম-ৰাজৰ প্ৰধানমন্ত্ৰীৰ বাব লৈ ৰাজনীতিৰ অসামান্য প্ৰতিভা প্ৰকাশ কৰিছিল। সেইটো সঁচা, কিন্তু বুঢ়াগোহাঁই ডাঙৰীয়াৰ কথা স্বকীয়া। তেওঁ স্কুল-কলেজ নেদেখা ছাত্ৰ। পুৰুষানুক্ৰমে ৰাজকীয় বিষয়-বাব ভোগ কৰা অসম দেশৰ ৰীতিয়ে ল'ৰাকালতে তেওঁক ৰাজনীতি শিকিবলৈ সুবিধা দিছিল। কিন্তু 'বিদ্যালয় শিক্ষাৰ্থীদলত নামভুক্ত' মিঃ পিট চাহাবে স্কুল-কলেজত ৰাজনীতি শিকিছিল কাৰণেহে ছাত্ৰজীৱন পাৰ হোৱা মাত্ৰকে ৰাজনৈতিক শিক্ষাৰ মহলাত যশস্যাৰে সৈতে উত্তীৰ্ণ হৈ ততালিকে জিলিকি উঠিব পাৰিছিল। মিঃ মণ্টেগুৰ সহপাঠী ভাৰতীয় ছাত্ৰৰ মুখে শুনা যায় যে আণ্ডাৰ-গ্ৰেজুৱেট কালতে তেওঁ ৰাজনৈতিক কাৰ্য্যক্ষেত্ৰত নামি দোপতদোপে উধাবলৈ ধৰে। আজি সেই মণ্টেগুৰ ভাৰত শাসন-সংস্কাৰৰ প্ৰস্তাৱনাই সভ্য জগতত, বিশেষকৈ ভাৰতবৰ্ষত এটি অপূৰ্ব্ব ৰাজনৈতিক আন্দোলনৰ অভ্যুদয় ঘটাইছে। আশা কৰা যায়, এই প্ৰস্তাৱনা কাৰ্য্যত পৰিণত হোৱাৰ লগে লগে ভাৰতৰ বৰ্ত্তমান প্ৰাচ্য-ৰীতিৰো পৰিৱৰ্ত্তন ঘটিব। ভাৰতৰ স্কুল-কলেজীয়া ছাত্ৰকো ৰাজনীতি শিক্ষা দিয়াৰ ব্যৱস্থা দি এই দেশৰ ৰাজনৈতিক প্ৰমাদ গুচোৱা হব। কাৰণ ছাত্ৰ-জীৱন কঠীয়াতলী, তাত ৰাজনীতিৰ সঁচ নিসিঁচিলে সংসাৰ-পথাৰত ৰুবলৈ সেই জাতৰ কঠীয়া ক'ৰ পৰা হব? নহয় দেখিতো পৰৰ পথাৰৰপৰা তাৰ লেছেৰি চপাই ভঁৰাল বান্ধোতা ভাৰত-সন্তানে ৰাজনৈতিক আন্দোলনত সততে প্ৰমাদ ঘটায়।

ছাত্ৰশক্তি প্ৰবল শক্তি আৰু সেই প্ৰবলতাৰ বল হৈছে বয়সৰ বল। সাধাৰণতে প্ৰাচ্য জীৱনত সেই বল ১৫ বছৰৰপৰা ২৫ বছৰলৈ আৰু পাশ্চাত্য জীৱনত ২০ বছৰৰ পৰা ৩০ বছৰলৈকে বুলি প্ৰাচ্য-পাশ্চাত্য-তত্ত্ববিদ কোনো কোনো পণ্ডিতে ঠাৱৰাইছে। সেই বয়সত ছাত্ৰশক্তি অতিশয় প্ৰবল। কাৰণ সেই বয়সত মানুহৰ মানসিক প্ৰবৃত্তি আৰু শাৰীৰিক শক্তি স্বভাৱতে প্ৰখৰ থাকে। সেই কালত সেই শক্তি আৰু সেই প্ৰবৃত্তিয়ে সাংসাৰিক জীৱনৰ বাধা-বিঘ্ন আৰু অপায়-অমঙ্গল আদিত খুন্দা খাই ভোটা হোৱাৰ আশঙ্কা অধিক নাথাকে। গতিকে সেই অৱস্থাত মানৱ-সন্তানে দুঃসাধ্যক সুসাধ্য কৰিবলৈ সমৰ্থ হয়, অসাধ্যক সাধ্য কৰিবলৈ পাৰ্গতালি লাভ কৰে। সেই কাৰণেই পৃথিৱীত যতবোৰ মহৎ কাৰ্য্য সম্পাদিত হৈছে, তাৰ সৰহ ভাগৰ মূলত ছাত্ৰশক্তি। সৰহ ভাগেই সম্মিলিত ছাত্ৰশক্তিৰ উদাসীন পৰিচালনাৰ ফল। পৃথিৱীৰ বুৰঞ্জীয়ে ইয়াৰ ভুৰি ভুৰি প্ৰমাণ দাঙি ধৰিছে। আপোনাসকলৰ স্বদেশৰ বুৰঞ্জীতো তাৰ অভাৱ নাই। সিদিনা মাথোন আপোনাসকলৰ জাতীয় দুখাপিমানৰ আগৰ থাপি অস-

মীয়া ছাত্ৰৰ সম্মিলিত শক্তিয়ে আপোনাসকলৰ জাতীয় সাহিত্যক শত্ৰুৰ গ্ৰাসৰপৰা কেনেকৈ ৰক্ষা কৰিলে তাৰ চমু কাহিনী 'অসম সাহিত্য-সভা'ৰ পোনপ্ৰথম অধিবেশনৰ সভাপতিৰ সম্ভাষণত দিয়া আছে। এতেকে আজিৰ ছাত্ৰ-শক্তিয়েও যে ভালেমান অসাধ্য সাধি জাতীয় উন্নতিৰ সোঁত প্ৰবল কৰিব, তাত সংশয় নাই। বিশেষতঃ উপস্থিত অসমীয়া ছাত্ৰশক্তিৰ সঙ্কল্প আৰু কৰ্ত্তব্য আগতকৈ ভালেমান গুণে শকত আৰু বহল দেখা গৈছে। এই সন্মেলনেই সেই শকত অৱস্থাৰ সাক্ষী আৰু বৰ্ত্তমান ছাত্ৰ-সন্মেলনে আগত লোৱা বিবিধ কৰ্ত্তব্যপুঞ্জই সেই বহলতাৰ ভেটি। অসম ছাত্ৰ-সন্মেলনৰ যিবোৰ কৰ্ত্তব্য ওপৰত উচুকিয়াই অহা হৈছে, তাৰ উপৰিও এটি বৰ ডাঙৰ আৰু লাগতিয়াল বিষয় সেই কৰ্ত্তব্যপুঞ্জত নতুনকৈ সোমাইছে, সি আত্মৰক্ষক ফৌজ গঠনত যোগদান। ইয়াৰ দ্বাৰা অকল দেশৰ মঙ্গলেই যে সাধিত হব এনে নহয়, ছাত্ৰ-জীৱনৰ শাৰীৰিক শক্তিৰ ক্ৰমোন্নতিত ই বিশেষকৈ সহায়তা কৰিব। গতিকে অসমৰ ছাত্ৰশক্তিৰ সাৰ্থকতা সাধন কৰিবলৈ বৰ্ত্তমানত বিবিধ ছেগ অযাচিতে চাপিছেহি। এনে ছেগতে দেশৰ নেতাসকলেও যদি সিবিলাকৰ লগত সৰল সহানুভূতি যোগ দিয়ে, তেন্তে আজিৰ ছাত্ৰশক্তিয়ে যে অচিৰে অসম-মাতৃৰ মুখ পোহৰাব পাৰিব সেইটো ডাঠি কব পৰা যায়। কিন্তু এইখিনিতে এটি কথা মনত ৰাখিবলগীয়া যে সংসাৰত সৎ আৰু অসৎ দুটা বাট সমান্তৰালভাৱে সদায় আছে। প্ৰবল ছাত্ৰশক্তি সৎ বাটে নিয়মীয়াকৈ পৰিচালিত হলে যেনেকৈ তাৰপৰা সম্পদ লাভ আছে, সেই শক্তি অসৎ বাটে বাট পালে সেইদৰে তাৰপৰা আপদ মিলিবলৈকো আছে। সেই কাৰণে এই প্ৰবল শক্তিৰ ওপৰত শাসন-দণ্ডধাৰী এটি প্ৰবলতৰ বলৰ প্ৰভুত্ব থকাৰ প্ৰয়োজন। সেই বল হৈছে চৰিত্ৰবল। সেই বল নাথাকিলে সকলো মিছা। তাৰ অভাৱে প্ৰবল ছাত্ৰশক্তিয়ে সৎ গতি ধৰা অসম্ভৱ। এতেকে ছাত্ৰজীৱন চৰিত্ৰৰ গাঠনিৰে সংগঠিত হব লাগে, চৰিত্ৰৰ চালনেৰে পৰিচালিত হব লাগে আৰু চৰিত্ৰৰ লক্ষ্যত সম্মিলিত হবগৈ লাগে। সেই চৰিত্ৰনো কি আৰু সি কিহেৰে গঠিত তাৰ ব্যাখ্যালৈ এই বক্তৃতাত ঠাই নহব। তাক আপোনাসকলে বিবিধ নীতিগ্ৰন্থ আৰু সাধুজনৰ উপদেশবোৰৰপৰা সংগ্ৰহ কৰি ললেহে হব।

যিবিলাক গুণেৰে চৰিত্ৰ সংগঠিত হয়, তাৰ ভিতৰত সংযম গুণ ছাত্ৰজীৱনত আটাইতকৈ বেছি লাগতিয়াল, কিয়নো ছাত্ৰশক্তি যেনে প্ৰবল, সংযতভাৱে পৰিচালিত নহলে সময়ত সি অসৎ বাটেদি ইয়া কাটি গৈ মহা অনৰ্থ ঘটাবৰ আশঙ্কা থাকে। আনকি সৎ বাটে ঢাল খোৱা ছাত্ৰশক্তিও সততে সংযত ভাৱেহে পৰিচালিত হোৱা বাঞ্ছনীয়। সংযমৰ অভাৱ ঘটিলে সি তাতো হিতে বিপৰীত ঘটোৱাৰ আশঙ্কা আছে। তাৰ প্ৰমাণ বঙ্গীয় স্কুল-কলেজৰ ছাত্ৰ এভাগৰ বিগত শোচনীয় কাৰ্য্য। সেই ভাগ ছাত্ৰ-শক্তিত সংযমৰ অভাৱ পৰাৰ হেতুকেই যে তাৰ দ্বাৰা ৰাজদ্ৰোহ, ডকাইতি আদি অতি গৰ্হিত পাপকাৰ্য্য সংগঠিত হৈছিল, তাক এতিয়া কোনে দুই কৰিব? সেই দেখিছে দোহাৰি কবলগা হৈছে যে চৰিত্ৰবলৰ শাসনত নথকা ছাত্ৰশক্তিয়ে সময়ত হিতে বিপৰীত ঘটায়; মঙ্গলতকৈ অমঙ্গলৰ মাত্ৰা অতিপাতকৈ চৰায়। চৰিত্ৰবলৰ ব্যাখ্যা দিবলৈ এই বক্তৃতাত ঠাইৰ নাটনি বুলি আগতে উচুকিয়াই অহা হৈছে। তথাপি সেই বলৰ লক্ষণ কি, তাক কি উপায়েৰে লাভ কৰা যায় আৰু তাক কি ব্যৱস্থাৰে সৈতে ৰক্ষা কৰিব পাৰি তাৰ সঙ্কেত মাথোন দিয়াৰ প্ৰয়োজন হৈছে। মুঠতে যি শুদ্ধ, সত্য, পবিত্ৰ, সেয়ে চৰিত্ৰ। য'ত পাপ নাই তাতে চৰিত্ৰৰ থিতি। হিংসা, দ্বেষ, পৰশ্ৰী-কাতৰতাই যাক চুব নোৱাৰে চৰিত্ৰই তাকে আশ্ৰয় লয়। দয়া, ক্ষমা, পৰোপকাৰ যাৰ ধৰ্ম, তাৰ গাতে চৰিত্ৰই জিৰণি লয়। বিনয়, নম্ৰতা, শিষ্টতা যাৰ স্বভাৱৰ গুণ, তাৰ লগতে চৰিত্ৰৰ ঘনিষ্ঠ সম্বন্ধ। ভক্তি, শ্ৰদ্ধা, প্ৰীতি যাৰ আচৰণ, তাৰ লগতে চৰিত্ৰৰ সৰ্ব্বসঙ্গতি। পিছে সেই চৰিত্ৰবল লাভ কৰাৰ উত্তম উপায় কি? সেই বলৰ আধাৰ ঈশ্বৰত একান্ত ভক্তি। সেই বল সংৰক্ষণৰ সুব্যৱস্থা কি? সেই বলদাতা ভগৱন্তত অটল বিশ্বাস। পৰমেশ্বৰত ভক্তি থাকিলেই চৰিত্ৰ সংগঠিত হয় আৰু পৰমেশ্বৰত বিশ্বাস থাকিলেই চৰিত্ৰ সংৰক্ষিত হয়। কাৰণ সত্য, সুন্দৰ, পবিত্ৰ ঈশ্বৰক ভক্তি কৰোঁতে তেওঁৰ ঐশ্বৰিক বল

মানৱাত্মাত প্ৰতিভাত হয় আৰু তেওঁত বিশ্বাস থাকিলেই সেই ঐশ্বৰিক বলৰ অপব্যৱহাৰ নোহোৱাকৈ সি ৰক্ষিত হয়। ঈশ্বৰৰ অপ্ৰিয়ভাজন হোৱাৰ ভয়তে পাপ কাৰ্য্যৰ-পৰা বিৰত হোৱা যায় আৰু ঈশ্বৰৰ প্ৰিয়পাত্ৰ হোৱাৰ আকাঙ্ক্ষাতে পুণ্য কৰ্ম্ম সাধনলৈ ধাউতি বাঢ়ে।

এই গল চৰিত্ৰৰ ওপৰত অলৌকিক শাসন। সেই দৰেই তাৰ ওপৰত লৌকিক শাসনো আছে,—সি ৰাজ-ভক্তি আৰু ৰজাত বিশ্বাস। ব্ৰহ্মাণ্ডৰ পতি যেনে ঈশ্বৰ, তেওঁৰ আৰ্হিৰেই তেওঁৰে সৃষ্ট ভূমণ্ডলৰ পতি ভূপতি। ঈশ্বৰভক্তি আৰু ঈশ্বৰ-বিশ্বাসত যিদৰে চৰিত্ৰ সংগঠিত আৰু সংৰক্ষিত হয়, ৰাজভক্তি আৰু ৰাজ-বিশ্বাসতো সেইদৰে চৰিত্ৰ গঠিত আৰু ৰক্ষিত হয়। এই ৰাজভক্তি অসমীয়া ছাত্ৰলৈ নতুন ভাৱ, নতুন কথা, নতুন ক্ৰিয়া নহয়; অসমীয়া ছাত্ৰই আজন্ম সেই গুণৰ গৰাকী হৈ আহিছে। সৰহ নহয়, এটা শতাব্দীও পূৰা হোৱা নাই, চাৰিকুৰিমান বছৰৰ আগতে মাথোন অসমীয়া ছাত্ৰৰ পিতৃ-পুৰুষে ৰাজ-ভক্তিৰ পৰাকাষ্ঠা দেখুৱাই গৈছে। "ৰজাৰ হৈ জীৱন আৰু ৰজাৰ হৈ মৰণ" এনে ওখ ভাৱৰ গৰাকী ৰাজভক্ত প্ৰজা পৃথিৱীত অসমীয়াৰ সমনীয়া নাছিল বুলিলে বঢ়াই কোৱা নহব। সেই অসমীয়া পিতৃপুৰুষৰ, সেই অসমীয়া ৰাজভক্ত প্ৰজাৰ সতি-সন্তানৰ পক্ষে ৰাজভক্তি যে স্বভাৱত পৰিণত হোৱা এটা মহৎ গুণ, তাক কোৱা বাহুল্য মাথোন। এতেকে ছাত্ৰ-শক্তিয়ে, বিশেষকৈ অসমীয়া ছাত্ৰৰ সম্মিলিত শক্তিয়ে নেদেখা ভাগত ঈশ্বৰ আৰু দেখা ভাগত ৰজা এই দুই মহা শাসন-শক্তিৰ অধীনে গন্তব্য বাটত সংযতভাৱে বাট পালে সংসাৰৰ অপায় অমঙ্গললৈ যে ভয় নাথাকে তাত সন্দেহ নাই।

লগৰীয়া বাইজ আৰু ছাত্ৰবন্ধুসকল! কোৱাৰ সকাম নাই যে ৰজাৰ ভাগাত চাবুকৰ চাট আৰু লেকামৰ টান দুইটা সমানে সহিব লাগে। এই দুবিধ হুকুমৰ পিঠিয়া-পিঠি লক্ষ্যৰ সামঞ্জস্যত ৰব পৰাটোৱেই সুৰক্তাৰ চিন। পিছে এই ৰক্তাই কেনে বিধৰ চিন দেখুৱাইছে সেইটো ৰক্তব্যৰ অতীত, যদিও আপোনাসকলে অৱশ্যে ঠাৰবাই উঠিছে; তেওঁৰ নিজৰ ধাৰণা হলে এইহে যে, লেকামৰ টানে কোৱাৰি ছিঙালৈকো কটাহি নকৰি, চাবুকৰ চাটত ৰব নোৱাৰি তেওঁৰ নিৰ্দ্ধাৰিত সীমা চেৰাই আগ-বাঢ়িছে আৰু তাৰ দ্বাৰা তেওঁ আপোনাসকলৰ মূল্যৱান সময়ৰ ভালেখিনি অপব্যয় কৰিছে। তদুপৰি তেওঁৰ নীৰস বক্তৃতাই যে আপোনাসকলক বিষমকৈ আমনি লগাইছে তাৰ আশঙ্কায়ো তেওঁক ভয় খুৱাইছে। কিন্তু আপোনা-সকলৰ কৰুণাৰ তেওঁ গম পায়; দায় লগালেও আপোনা-সকলে তেওঁক দলিয়াই নেপেলায় বুলি তেওঁ জানে। সেই কাৰণে ক্ষমা ভিক্ষাৰ অৰ্থে তেওঁ যি আঁজলি পাতি আহিছে সেই আঁজলি এতিয়া আচল সময়ত আকৌ বিনীতভাৱে আপোনাসকলৰ আগলৈ আগবঢ়াইছে।

ভিক্ষাদান কিঞ্চিত হলেও যেন তাৰপৰা তেওঁ বঞ্চিত নহব এই আশা কৰি তেওঁ পুনঃ আসন লবলৈ আপোনা-সকলৰ ওচৰত এতিয়া অনুমতিহে মাগিছে। কিন্তু এই বক্তৃতা নিজম পৰাৰ আগতে তেওঁ সদৌ অসম ছাত্ৰৰ হৈ আপোনাসকল উপস্থিত সমজুৱাক আৰু আপোনাসকলৰ যোগেদি সদৌ অসমৰ ৰাইজক একেবাৰ খাটনি ধৰিছে, যেন স্বদেশ আৰু স্বজাতিৰ হিতাৰ্থে কৰ্ত্তব্যপৰায়ণ এই "অসম ছাত্ৰ সম্মেলন"ক কাৰ্য্যস্থলত সৰ্ব্বতোভাৱে সহায়তা কৰি দেশ-হিতৈষিতাৰ পটন্তৰ দেখুৱাবলৈ আপোনাসকল পাছ নপৰিব। সমূহ ৰাইজৰ সহায়-সহানুভূতিয়েইহে যে ছাত্ৰ-সম্মেলনৰ বল তাক আৰু কব লাগিছে নে? এতেকে এই বিষয়ত নিশ্চিন্ত হবলৈ ছাত্ৰসকলক আপোনা-সকলৰ হৈ আশ্বাস দিয়া হৈছে। এতিয়া সামৰণিৰ শুভ-ক্ষণত এই সম্মেলনত উপস্থিত ছাত্ৰবৰ্গ আৰু লগৰীয়া ৰাইজৰ হৈ মঙ্গলময় পৰমেশ্বৰৰ ওচৰত এই নিঃকিন ৰক্তাই গোহাৰি কৰিছে; সেই ভগৱন্তৰ অসীম কৃপাৰ বলত ৰত্ন-প্ৰসবিনী অসম-জননীৰ ভৰসাৰ গজালি এই "অসম ছাত্ৰ-সম্মেলন" কল্পতৰুৰূপে অচিৰে এজুপি ফুলে-ফলে সুশোভিত গছ হৈ বাঢ়ি উঠে যেন।

আসাম এচোচিয়েচন কনফাৰেন্স

ষোড়শ অধিৱেশন

বৰপেটা—ডিচেম্বৰ ২৭, ১৯১৯ চন

লগৰীয়া বাইজ, অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়া আৰু সদস্যসকল, আৰু উপস্থিত ভদ্ৰমহিলা আৰু ভদ্ৰমহোদয়সকল!

জয় জয়তে এই জাতীয় মহাসভাত মোক সভাপতি বৰণ কৰা বাবে মই সৰল চিত্তেৰে আপোনাসকলৰ শলাগ লৈছোঁ। তাৰ পাচত, পোন-প্ৰথমতে মোৰ কব লগীয়া এই যে, আজি যি সভাপতিৰ ওখ আসনত মোক আপোনাসকলে আদৰ কৰি বহুৱাই সম্মানিত কৰিছে, দুটা ডাঙৰ কাৰণত পোনতে মই সেই আসনৰ কাষ চাপিবলৈ আশঙ্কিত হৈছিলোঁ। সেই কাৰণ দুটা এই:—(১) সামাজিক আৰু ৰাজনৈতিক কাৰ্য্যক্ষেত্ৰত মোৰ অভিজ্ঞতা অতি সামান্য আৰু সি নিচেই অলপদিনীয়া,—সামাজিক ক্ষেত্ৰত মুঠেই ২৫ বছৰ আৰু ৰাজনৈতিক ক্ষেত্ৰত ১২ বছৰমান হে হব,—স্বৰূপতে আসাম লেজিচ্লেটীভ কাউন্সিল বা আসাম গৱৰ্ণমেণ্টৰ ব্যৱস্থাপক সভাত সদস্যৰূপে প্ৰৱেশ কৰাৰ পাচৰপৰা হে মোক প্ৰকৃততে ৰাজনৈতিক ছাত্ৰৰ লেখত ললে লব পাৰি। তাৰ আগেয়ে মই সৰ্ব্বাঙ্গীন সাহিত্য-সেৱক আছিলোঁ। সাহিত্যচৰ্চ্চাত বাজে আন বিষয়ত তেতিয়া মোৰ ৰাপ নাছিল,—এতিয়াও জাতীয় সাহিত্য-সম্পদে হে যি অলপ মোৰ চিনাকি দিয়ে, সেই চিনাকিৰ অৰ্থে ৰাজনৈতিক সমৃদ্ধি মোৰ আৰ্জ্জনত নাই, সামাজিক সমল তো নিলগৰ কথা। সেই কাৰণে, জাতীয় মহাসভাৰ সভাপতিৰ বিষয়-ৰাব লবলৈ নানা আশঙ্কাত মোৰ মন কোঁচখাই পৰিছিল। বিশেষতঃ, সমাজৰ ওপৰত যাৰ বহুল অধিকাৰ নাই, তাৰ পক্ষে সমূহ সমাজৰ সম্মিলনীত সভাপতি বা থাই নেতা হবলৈ যোৱাটো মৰসাহৰ কথা। (২) মই এটা স্বকীয়া সম্প্ৰদায়ৰ স্বীকৃত নেতা—আহোম সম্প্ৰদায়ৰ বিষয়-ববীয়া প্ৰতিনিধি—আহোম এচোচিয়েচনবিলাকৰ জেনেৰেল চেক্ৰেটৰী। কোনো এটা স্বকীয়া সম্প্ৰদায়ৰ নেতা এজনে সমূহ সম্প্ৰদায়ৰ সম্মিলনীত সভাপতিৰ এক্তিয়াৰ গ্ৰহণ কৰিলে জানোবা কোনো স্থলে মোক কিবা ৰূপে পক্ষপাতিতাৰ চোতাত পেলায়, আৰু প্ৰকাশ্যে নহলেও, ভিতৰি জানোবা কাৰোবাৰ চিত সেই বিষয়ত সন্দিহান হয়, আৰু জানোবা সেয়ে এই জাতীয় মহাযজ্ঞত কোনো প্ৰকাৰে বিঘ্ন ঘটায়, এনেবোৰ আশঙ্কা মোৰ মনত প্ৰবল হৈ উঠিছিল। এই দৰে এই দুটা কাৰণে মোৰ মনত উত্তল-থুত্তল লগাই আছে, এনেতে আসাম এচোচিয়েচনৰ জেনেৰেল চেক্ৰেটৰী ডাঙৰীয়াৰপৰা বতৰা পোৱা গল যে, তেওঁৰ আহ্বান অনুসৰি সভাপতি নিৰ্ব্বাচনৰ নিমিত্তে ভিন ভিন কেন্দ্ৰৰপৰা যি পাঁচজন ভদ্ৰলোকক মনোনীত কৰা হৈছিল, তাৰ ভিতৰৰ সবাতোকৈ বয়োজ্ঞানবৃদ্ধ লোকমান্য নেতা শ্ৰীযুক্ত ফণিধৰ চলিহা ৰায়বাহাদুৰ ডাঙৰীয়াই যোলে আগ্ৰহৰে সৈতে মোৰ হকে তেখেতৰ সুযোগ্য নাম সেই মনোনীত তালিকাৰপৰা তুলি লৈছে, আৰু মোক আগ বাঢ়িবলৈ টানি কৈছে। গতিকে, সকলো কথা পিচ কৰি, তেখেতৰ অনুজ্ঞা পালন কৰিবলৈ মই অগত্যা আগ বাঢ়িলোঁ।

পিচে, মোৰ মনত পোনেই যি আশঙ্কাই খেলাইছিল, সি কাৰ্য্যত ফলিয়াবলৈ সুবহু পৰ নালাগিল। যোৱা ১৩ কাতি তাৰিখৰ "আসাম-বিলাসিনী"ত কোনোবা এজন

বেনামী সমজুৱাই নিজৰ মন-চিত্তৰ কথা এইদৰে ব্যক্ত কৰা দেখা পালোঁ ; যেনে—"সম্প্ৰদায়ক প্ৰতিনিধিত্ব যি-সম্প্ৰদায়ে বিচাৰি ফুৰে সেই সম্প্ৰদায়ৰ মানুহক সভাপতি পতা একেবাৰেই অবিধি। অন্ততঃ, আমি মুচলমানৰ কথা কোৱা নাই।" এই কেই-আষাৰ কথাৰে সেই শিৰফুটা থলুৱা লেখকজনে বিশেষণেৰে সবিশেষ বুজাই আহোম সম্প্ৰদায়কে সেই সম্প্ৰদায় বুলি বিতংকৈ দেখুৱাবলৈ আৰু মোকে সেই সম্প্ৰদায়ৰ চূৰা-লগা মানুহটো বুলি মুকলি সঙ্কেতেৰে আঙুলিয়াই দেখুৱাবলৈ ভাল দেখিলে। আৰু, তেওঁ ভাবিছিল চাগৈ, তেওঁৰ সেই জাঁহফলা কথাই মোৰ মন ভাঙি মোক ছয়াকটাই আঁতৰাই নিব। কিন্তু দুখৰ বিষয়, তেওঁৰ সেই বাঞ্ছা পূৰণ নহ'ল, সেই স্বাৰ্থ-গোন্ধোৰা ঠেক মনৰ কথাই মোক টলাব নোৱাৰিলে! কিয়নো, যি জন্মভূমি অসম মাতৃৰ উন্নতি কল্পে মোৰ এই ক্ষুদ্ৰ জীৱন উছৰ্গা কৰা হৈছে, সেই অসমৰ একেখন মাথোন সৰ্বজনিক আলোচনা সভা এই "আসাম এচোচিয়েচন" মোৰ মানত মোৰ প্ৰাণসম প্ৰিয়বস্তু, ইয়াৰপৰা আঁতৰি মই এদিনলৈকো শান্তিৰে ৰব নোৱাৰিম। আৰু ভাবি চালোঁ যে, আজিকালি বিবিধ সম্প্ৰদায়ৰ সমষ্টিৰে গঠিত আমাৰ ভাৰতীয় জাতীয় জীৱনৰ যোৰাবিলাকৰ কোনোটোত কেতিয়াবা মতভেদ বা মনোবাদৰ ফাট্‌মেলাৰ চিন্ দেখা গলে, সেই স্বকীয়া সম্প্ৰদায় আৰু সমূহ সম্প্ৰদায়ত সম্বন্ধ লগা মধ্যস্থ লোকৰ নেতৃত্বৰ গুণেৰে তাক নিমজ কৰা হয়। আমাৰ ভাৰতীয় কংগ্ৰেছ মহাসভাৰ সভাপতি নিৰ্ব্বাচনত আমি তাৰ পটন্তৰ পাই আছোঁহক। ইয়াৰ উপৰি, ইয়াকো ভাবি চালোঁ যে, আমাৰ দেশৰ শিক্ষিত আৰু সভ্য সমাজত 'বিলাসিনী'ৰ সেই প্ৰবন্ধ-লেখকৰ শাৰীৰ ভেদ্‌বাজ পুৰুষ অতি বিৰল, বৰঞ্চ সৰহভাগেই শুদ্ধচিতীয়া। ৰাজনৈতিক ক্ষেত্ৰত মোৰ শিক্ষাগুৰু মাননীয় ৺মাণিকচন্দ্ৰ বৰুৱা প্ৰমুখ্যে ভালেমান ন্যায়বাদী দেশহিতৈষীয়ে সম্প্ৰীতিৰে গুণ লোৱা শুনিছিলোঁ যে, সাম্প্ৰদায়িক নেতা হৈ আহোম সম্প্ৰদায়ৰ অৰ্থে মোৰ স্বকীয়া খাটনি টকাত এসিকি পৰিমাণে হে হৈছিল; বাকী তিনিসিকি সমূহ অসমীয়া সম্প্ৰদায়ৰ উন্নতি-কল্পে নিয়োজিত হৈছিল। আহোম প্ৰতিনিধি সদস্যৰূপে আসাম কাউন্সিলত মোৰ ক্ষুদ্ৰ শক্তিৰে মোৰ দেশৰ, মোৰ জাতিৰ আৰু মোৰ জাতিৰ হিতাৰ্থে কিঞ্চিৎমান যি কৰিব পাৰিছিলোঁ সেয়ে তাৰ সাক্ষী। বাস্তৱতে, আহোম সম্প্ৰদায় মোৰ মানত এটা স্বকীয়া জাতি নহয়, সি বৰ্ত্তমান অসমীয়া জাতিৰ হিন্দু-অঙ্গীভূত এটা প্ৰত্যঙ্গ মাথোন। এটা শৰীৰৰ কোনো এটা অঙ্গ সবল হলে তাৰপৰা গোটেই শৰীৰৰ যি উপকাৰ হয়, অসম-ৰাজবংশী আহোম সম্প্ৰদায় সবল হলে গোটেই অসমীয়া জাতিৰ সেই উপকাৰ হব বুলি হে মোৰ ধাৰণা। সি যি হওক, আপোনাসকল ৰাইজেও এনে বিধৰ উদাৰ ভাবত প্ৰণোদিত হৈ মোক, অপাত্ৰ জানিও, অযাচিতে এই জাতীয় মহাসভাৰ নেতৃত্বৰ বাব দি মান ধৰাৰ বাবে মই অন্তৰে সৈতে আপোনাসকলৰ শলাগ লৈছোঁ।

বৰপেটা

লগৰীয়া ৰাইজ। আজি আমি যি ঠাইত এই মহাযজ্ঞ উপলক্ষে সমবেত হৈছোঁহিঁক, আজি যিসকল অসমীয়া জাতিভাইৰ আলহী হৈ আমি সিবিলাকৰ সাদৰ শুশ্ৰূষাত পৰিতুষ্ট হৈছোঁহঁক, সেই পূৰ্ব্বগৌৰৱবিশিষ্ট আৰু বৰ্ত্তমান অসমৰ সমৃদ্ধিশালী প্ৰখ্যাত ঠাই বৰপেটা, আৰু পূৰ্ব্বাপৰ আত্মনিৰ্ভৰ গুণেৰে বিভূষিত আৰু অসমীয়াৰ নিভাঁজ আৰ্হি আমাৰ বৰপেটীয়া জাতি-ভাইৰ সম্পৰ্কে এই ছেগতে দু-আষাৰ কৈ মোৰ কৰ্ত্তব্য পালন কৰোঁ। যি ঠাই এসময়ত সাহিত্য-চৰ্চ্চাৰ কেন্দ্ৰস্থল আছিল, যি ঠাইত অসমীয়া সাহিত্যৰ প্ৰাণদাতা শঙ্কৰ-মাধৱৰ মহাপুৰুষীয়া ভাগৱতী ধৰ্ম্মৰ জ্যোতি পোন-প্ৰথমে প্ৰদীপ্ত হৈছিল, সেই পবিত্ৰ ভূমি বৰপেটাৰ পূৰ্ব্বগৌৰৱৰ বিষয়ে মই বহলাই নকওঁ; কাৰণ, কালিয়েই এই একে ছেগতে এই একে মণ্ডপতে সদৌ অসমৰ সাহিত্য সন্মিলনীৰ সুযোগ্য সভাপতিৰ অভিভাষণত সেই বিষয়ে বহলকৈ কোৱা হৈছে। আৰু, আদিৰেপৰা অসমীয়াৰ নিভাঁজ আও-ভাওৰে সৈতে বিভূষিত, অসমীয়াৰ ভিতৰত বাণিজ্য ব্যৱসায়ৰ প্ৰকৃত মোল পোৱা পুৰণি অসমীয়া বৰপেটীয়া জাতি-ভাইৰ পূৰ্ব্ব-গৌৰৱৰ কাহিনীও বহলাই বিৱৰিবলৈ মোৰ মন নাই,

কিয়নো সেই সম্বন্ধেও আপোনালোকলৈ অভ্যৰ্থনা সমিতিৰ সুযোগ্য সভাপতিদ্বয়ৰ মুখে শুনি থৈছে। মই যাখোন আধুনিক বৰপেটা আৰু এতিয়াৰ বৰপেটীয়া জাতি-ভাইৰ জাতীয় জীৱনলৈ আঙুলিয়াই দু-আষাৰমান কওঁ, তাকো লাগতিয়াল ভাগৰ বছা-বছা গোটাদিয়েক বিশেষত্বৰ বিষয়ে, যি এই বক্তৃতাৰ কোনো কোনো ছোৱাত পাছেকৈ সমৰ্থনৰ সাৰ দিব বুলি মোৰ বিশ্বাস।

বৰপেটালৈ অহা এয়ে মোৰ প্ৰথম। ইয়াৰ আগেয়ে বৰপেটা কেনে আছিল মই দেখা নাই। তথাপি, ইয়াৰ পুৰণি কীৰ্ত্তি-কাহিনীলৈ চাই আগৰ দিনত ই এখন মনোহৰ ঠাই আছিল বুলি মোৰ ধাৰণা আছিল; আৰু এতিয়া স্ব-চকুৰে ইয়াৰ প্ৰাকৃতিক অৱস্থা যি দেখিছোঁহি সি মোৰ সেই ধাৰণা ভাঠ কৰিছে। অসমৰ মহাকবি ৺শঙ্কৰ-মাধৱে ইয়াক সিবিলাকৰ লীলাভূমি কৰাৰ যথেষ্ট কাৰণ দেখা পাইছোঁ। কিন্তু, আগেয়ে যেনেকি নাথাকক, এই মনোহৰ ঠাইখনিয়ে এতিয়াৰ প্ৰাপ্য উন্নতি যথেষ্টৰূপে যে লাভ কৰিব পৰা নাই, সেইটো ফট্‌ফটীয়াকৈ দেখা যায়। এনে হেন উন্নতিশীল এখন মহকুমাৰে সৈতে দেশৰ আন-বিলাক ঠাই, বিশেষকৈ বাণিজ্য-ব্যৱসায় আদি কাৰবাৰৰ কেন্দ্ৰস্থলৰ লগত সমাগমৰ সুচল নথকাটো বৰ দুখৰ বিষয়। বৰপেটালৈ অহা-যোৱাৰ অসুচলৰ বিষয়ে আমি নিলগৰে-পৰা ভালেমান শুনি আছোঁ, আৰু মই প্ৰথম আসাম-কাউন্সিলৰ সদস্য থকা চাৰি বছৰৰ ভিতৰত বৰপেটা, নগাওঁ, শিৱসাগৰ আৰু উত্তৰ লক্ষীম্‌পুৰলৈ সমাগমৰ সুবিধা বঢ়াবৰ অৰ্থে গৱৰ্ণমেণ্টক বিস্তৰ খাটনি ধৰিছিলোঁ। পাকলাগি তাৰ ফলতেই হওক বা গৱৰ্ণমেণ্টৰ স্ব-ইচ্ছাতেই হওক, সেই সময়ৰ ভিতৰতে ওপৰত নাম লোৱা কেই-ঠাইলৈ যাতায়াতৰ সুবিধা বঢ়াবলৈ চৰ্কাৰৰ চেষ্টা যথাৰ্থত-ৰূপে হোৱা দেখা গৈছিল। ফলতঃ, বৰপেটা আৰু শিৱসাগৰৰ অভাৱ কিয়ৎ পৰিমাণে আঁতৰ হল, কিন্তু নগাওঁ আৰু উত্তৰ লক্ষীম্‌পুৰৰ ভাগ্য হে প্ৰসন্ন নহল। সেইবাবে আমি গৱৰ্ণমেণ্টৰ গাত দায় দিবলৈ যোৱা নাই, সেই দুই ঠাইৰ ভাগ্যক হে দুষিছোঁ। কাৰণ, উত্তৰ লক্ষীম্‌পুৰৰ দুৰে জেবলাখনমান টকা ভগন কৰিও গৱৰ্ণমেণ্টে তালৈ যাতায়াতৰ উন্নতি নধাত শুণ ধৰাব নোৱাৰিলে; আৰু কামপুৰ-নগাওঁ-শিলঘাট ৰেলওৱেৰ কাৰ্য্য আৰম্ভ হৈয়ো স্থগিত থাকিব লগা হল, কিয়নো বিগত আপদীয়া মহাৰণৰ অভাৱ পূৰাবলৈ সেই ৰেলওৱেৰ নিমিত্তে যুগুত কৰা সঁজুলিও তাৰপৰা তুলি নিব লগাত পৰিল। সি যি হওক, সন্তোষৰ কথা যে, সেই ৰেলৰ কাম পুনঃ হাতত লোৱা হৈছে, আৰু অহা এপ্ৰিলত ৰেল যুগুত হৈ উঠিব বুলি জনা গৈছে। বৰপেটালৈ যাতায়াতৰ সুবিধা এতিয়াও সামান্যৰূপে হৈ থকাটো দুখৰ বিষয়; এনে হেন বেহা-বেপাৰ আৰু বাণিজ্য-ব্যৱসায়ৰ কেন্দ্ৰস্থল এখন ঠাইক এনেদৰে আজিকালিৰ দিনত আওহতীয়াকৈ পৰি থাকিবলৈ দিয়াটো কেতিয়াও যুক্তি-সঙ্গত হোৱা নাই। সেই কাৰণে, এই বিষয়ত গৱৰ্ণমেণ্টৰ সোনকালে মনোযোগ পৰাটো একান্ত বাঞ্ছনীয়।

বৰপেটীয়া অসমীয়া

আমাৰ বৰপেটীয়া জাতি-ভাইৰ জাতিগত বিশেষত্বৰ বিষয়ে ওপৰত উল্লেকিয়াই অহা হৈছে। এক আষাৰে চমুকৈ কব লাগিলে, অসমীয়াৰ অসমীয়াত্ব নিখুতকৈ কোনোবা অসমীয়াৰ গাত থৈছে যদি, সি বৰপেটীয়া অসমীয়াৰ গাত। আও-ভাও, চলন ফৰণ, আচাৰ-ব্যৱহাৰ, সকলোতে বৰপেটীয়া অসমীয়াৰ গাত বিশেষত্ব আছে। ইয়াৰ মূল কাৰণ হৈছে, ৺শঙ্কৰীয়া সমাজ সংস্কাৰৰ চিন-চাব বৰপেটীয়া অসমীয়াৰ গাত যিমান ভাঠকৈ বহিছিল, আন অসমীয়াৰ গাত সিমানকৈ বহা নাছিল। এই বিষয়ে বিশদ বুজনিলৈ সময়ৰ নাটনি হেতুকে তাক ইমানতে সৰুতৰ ওপৰতে এৰা গল। বৰপেটীয়া অসমীয়াৰ সমাজবন্ধীয়া একতা ভাব অতি প্ৰবল। এই সম্পৰ্কে সিবিলাকক ঢাকাৰ মছলমানৰ লগত বিজাব পাৰি। ঢাকাৰ মছলমানে যেনেকৈ একবন্ধীয়া হৈ সিবিলাকৰ ঠাইলৈ মাৰোৱাৰীক সোমাব নোৱাৰা কৰি ৰাখিছে, আমাৰ বৰপেটীয়া ৰাইজেও সিবিলাকৰ ঠাইত আন ঠাইৰ বিদেশী কাৰবাৰীক বল কৰিবলৈ নিদিয়াকৈ ৰাখিব পাৰিছে। ইয়াৰ কাৰণ হৈছে, বৰপেটীয়া অসমীয়া আগৰেপৰা কাৰবাৰৰ মোজ পোৱা মানুহ, এতিয়াও সিবিলাক সেই বিষয়ত অগ্ৰগণ্য

হৈয়ে হৈছে। এই দেশত নথকা বিশেষ কাৰবাৰবো আহি ৰাখি সিবিলাকে অসমৰ মান-গৌৰৱ ৰক্ষা কৰিব পৰাৰ চিনাকি দিবই লাগিছে। আতচ্‌বাজীৰ (fire works) কাৰখানা আৰু কাৰবাৰ তাৰ এটা বিশিষ্ট প্ৰমাণ। বৰপেটীয়া অসমীয়াৰ যত্নত হে আজি আমি স্থানীয় কাৰখানাৰ আতচবাজী (Local made fire-works) আগবঢ়াই তেনে এটা জটিল কাৰবাৰত আমাৰ অধিকাৰ দেখুৱাবপৰা হৈ আছোঁইক। অকল এনে নহয়, গান-বাদ্য আদিৰ চৰ্চ্চাতো বৰপেটীয়া ৰাইজক অসমত বাট-দেখুওঁতা (Pioneer) বুলিব পাৰি। আধুনিক প্ৰথাৰে যাত্ৰাদল গঠন কৰা কাৰ্য্যত বৰপেটা আটাইতকৈ আগ বুলিলে বোধ কৰোঁ মিছা কোৱা নহয়, কাৰণ আমাৰ ল'ৰাকালত যেতিয়া ৺তিথিৰাম ওজাৰ যাত্ৰাদলে উজনি অসমকো বিমোহিত কৰিছিলহঁতে,—সি আজি ছকুবিশ্যুন বছৰৰ আগৰ কথা—তেতিয়া অসমৰ আন আন ঠাইত এই বিষয়ক চৰ্চ্চা আছিল যদি আমি গম্‌ পোৱা নাছিলোঁ। বৰপেটাত আগৰ বৰগীত আদিৰ চৰ্চ্চাও পূৰ্ব্বাপৰ অটুট ভাৱে চলিব লাগিছে। মুঠৰ ওপৰত, বিবিধ সাংসাৰিক বিষয়ত নতুন-পুৰণিৰ সামঞ্জস্য ৰাখি বৰপেটীয়া অসমীয়াই অসমীয়াত্ব অক্ষুণ্ণ ৰাখিব পাৰিছে। সেই বাবে সিবিলাক আন আন ঠাইৰ অসমীয়াৰ ওচৰত নিশ্চয় শলাগৰ পাত্ৰ।

গুৱালপাৰ

এই প্ৰসঙ্গতে অসমৰ অন্যতম উত্তমাঙ্গ গুৱালপাৰাঁৰ কথালৈকো মনত পৰিছে। গুৱালপাৰেও অসমৰ নাম-গৌৰৱ বৰপেটাৰ দৰেই জিলিকাই ৰাখিছে। দুখৰ বিষয়, অসমৰ শ্ৰী সহিব নোৱাৰা চুবুৰীয়া বঙ্গজই টনা-চোঁচা কৰি আমাৰ সেই উত্তমাঙ্গ ছিঙি নিয়াৰ চেষ্টা এতিয়াও এৰা নাই। এতিয়াও গুৱালপাৰৰ জমিদাৰীৰ ভাতেৰে জীৱন ধৰি জিলিকা বঙ্গজ এভাগৰ কু-পৰামৰ্শত আমাৰ বুকুৰ বান্ধৱ অসমীয়া জমিদাৰ কেইঘৰে বঙ্গৰ জাপত জাহ যাবলৈ ওলাই আমাক মাজে মাজে উচাপ খুৱাই থাকে। যি হওক, ভাৰত-শাসন-সংস্কাৰে—যি বিষয়ে এই বক্তৃতাৰ সামৰণিত বহলাই কোৱা হব—আমাক সেই শঙ্কাৰপৰা অচিৰে নিঃশঙ্ক কৰিব,—কিয়নো শাসন-সংস্কাৰ প্ৰৱৰ্ত্তোৱাঁৰ পাচত আৰু প্ৰাদেশিক কলা-ছিৰাৰ উৎপাতৰ বিকাৰ নাথাকিব যে, সেইটো ধ্ৰুৱ।

আসাম-এচোচিয়েচন

এইখিনিতে 'আসাম-এচোচিয়েচন' আৰু তাৰ বছেৰেকীয়া সম্মিলনী বা বাই সাধাৰণ অধিবেশনৰ বিষয়ে ছু-আষাৰমান কৰ লগা হৈছে। আসাম এচোচিয়েচনৰ বুৰঞ্জী আৰু ইয়াৰ উদ্দেশ্যৰ বিষয়ে বহলাই কোৱাৰ সকাম নাই, কাৰণ সেই বিষয়ে তাৰ সভ্য আৰু হিতাৰ্থীসকলে সুন্দৰকৈ জানে। তথাপি, তাকে চমুকৈ দোহাৰি কোৱাৰ উদ্দেশ্য এই যে, তাৰ দ্বাৰা আজিৰ আলোচনাৰ কালে সমবেত ৰাইজৰ মনোযোগ ভিৰাবলৈ একেৰি চস্‌ লাগি পৰিব। আসাম এচোচিয়েচন সদৌ অসমৰ এখন সদৌ লাগতিয়াল বিষয়ক আলোচনা সভা। এই সভাত অসমৰ ৰাজনৈতিক আৰু সামাজিক বিষয়ৰ বিশেষকৈ আলোচনা কৰা হয়। বিশেষতঃ, ৰাজনৈতিক আলোচনাত এই খনেই সদৌ অসমৰ একেখন সভা। এই আসাম এচোচিয়েচন ১৯০৩ খ্ৰীষ্টাব্দত অসমৰ দুজন ৰাজনীতিজ্ঞ সুধী সন্তান ৺জগন্নাথ বৰুৱা ৰায়বাহাদুৰ আৰু মাননীয় ৺মাণিকচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ যত্নত কেনেকৈ প্ৰতিষ্ঠিত হয়, আৰু তাৰ কেই-বছৰমান পাচৰপৰা, ৺জগন্নাথ বৰুৱা ডাঙৰীয়াৰ অকাল বিয়োগৰ পাচত, ৺মাণিকচন্দ্ৰ বৰুৱা ডাঙৰীয়াই অসমৰ অন্যতম সুযোগ্য সন্তান ৰজা প্ৰভাতচন্দ্ৰ বৰুৱা বাহাদুৰৰ আৰ্থিক সাহায্যত কেনেকৈ বাৰ বছৰ কাল এহতীয়াকৈ ইয়াক অসমীয়া ৰাইজৰ ৰাজনৈতিক মুখপাত স্বৰূপে জিলিকিয়াই ৰাখে, আৰু এই অসমীয়া জাতীয় মহাসভাৰ পুৰুষাৰ্থৰ ফলত অসমৰ সামাজিক আৰু ৰাজনৈতিক বিষয়ত কিমান কি উন্নতি হৈছে, সেইবিলাক বিৱৰি কবলৈ গলে সি বহুত। সেই বিষয়ক কৌতূহল যাৰ নিয়াবলৈ হলে, আপোনাসকলক আসাম এচোচিয়েচনৰ বুৰঞ্জী বিষয়ক তত্ত্ব লবলৈ পৰামৰ্শ দিওঁ।

আসাম কনফাৰেন্স

আসাম এচোচিয়েচনৰ বছৰি একোখন সন্মিলনী বা সাধাৰণ অধিবেশন 'আসাম কনফাৰেন্স' নামে বহাৰ ৰীতি ইয়াৰ জন্মবেপৰা চলি আহিছে ; আজি ছবছৰমানৰপৰা তাৰ কাৰ্য্য ধাৰাবাহিকৰূপে আৰু নিয়াৰিকৈ সম্পাদিত হব লাগিছে। এই আসাম কনফাৰেন্সৰ উদ্দেশ্য হৈছে, আসাম এচোচিয়েচনৰ বছৰেকীয়া কাৰ্য্যৰ হিচাপ লোৱা আৰু নতুন নতুন সংকল্প আগত সজাই ধৰা। যিবিলাক পূৰণি সংকল্প কাৰ্য্যত পৰিণত হয় তাৰ ফলাফলৰ বিষয়ে আলোচনা, আৰু কাৰ্য্যত নকৰিওৱাকৈ থকা সংকল্পবিলাক সেই সাজেৰেই বা তাৰ সংস্কাৰ ঘটাই তাক আকৌ আগত লোৱা। গোটেই যোৱা বছৰত ৰজা আৰু প্ৰজাৰ মাজত কটকীৰ বাব চলাই সভাই নিজৰ উদ্দেশ্য কিমানখিনি সাধিব পাৰিলে তাৰ বিচাৰ লোৱা, আৰু অহা বছৰত সেই বিষয়ে নতুনকৈ কি কৰিব লাগিব তাৰ মীমাংসা কৰা, ইত্যাদিয়েই আসাম কনফাৰেন্সৰ ঘাই উদ্দেশ্য। এনে উদ্দেশ্যেৰেই আজিৰ এই বিৰাট সন্মিলনী বা কনফাৰেন্স আমাৰ বৰপেটীয়া জাতি-ভাইৰ উদ্যমত ইয়াত বহিছে, আৰু সেই উদ্দেশ্য সাধনেই আমাৰ আজিৰ কৰ্ত্তব্য।

স্বজন-বিয়োগ

ওপৰত উল্লিখিত কৰ্ত্তব্য আগত মেলি লওঁতেই অসম মাতৃৰ এজন অসাধাৰণ সু-সন্তান, ভাৰতৰ এজন অগ্ৰগণ্য সংস্কৃতজ্ঞ পণ্ডিত, এই প্ৰদেশৰ একেজন মাথোন মহামহোপাধ্যায় উপাধিধাৰী পূজনীয় পুৰুষ ৺ধীৰেশ্বৰ আচাৰ্য্যৰ বিয়োগ-সন্তাপত আমি টলিব লগাত পৰিছোঁহঁক। সেই ক্ষণজন্মা অগাধ পণ্ডিত-পুৰুষৰ অকাল-বিয়োগে অসমৰ সাহিত্য-গগনত যি মহাক্ষতি ঘটালে সি সততকাই পূৰণ হোৱা সম্ভৱপৰ নেদেখোঁ। সেই স্বৰ্গীয় পুৰুষৰ চৰিত্ৰ কথন বা গুণকীৰ্ত্তনলৈ ইয়াত সময় নাটনি, গতিকে তেখেতৰ পবিত্ৰ নাম স্মৰণ কৰিয়ে মাথোন সেই বিষয়ে সামৰণী মাৰিব লগা হৈছে। ইয়াৰ উপৰিও যোৱা বছৰত কেইবাজনো অসমৰ কৃতী সন্তানৰ অকাল-বিয়োগ ঘটে ; তাৰ ভিতৰত তেজপুৰৰ ৺বোধনাথ পটজীয়া, বি, এল, উকীল, শিৱসাগৰৰ ৺ত্ৰৈলোক্যনাথ হাজৰিকা, বি, এচ-চি, মফেৰ্ট ই, এ, চি, এই দুজনৰ নাম উল্লেখযোগ্য। বিয়োগত সন্তাপ প্ৰকাশ কৰি আজিৰ জাতীয় মহাসভাৰ কাৰ্য্যাৰম্ভণত স্বৰ্গী পুৰুষসকলৰ আত্মাৰ সদগতি কামনা কৰোঁহঁক।

বিগত মহাৰণৰ পৰিণাম আৰু শান্তি-উৎসৱাদি

যোৱা বছৰৰ কথা সুঁৱৰিলেই লোকেই বিগত মহাৰণৰ কথা মনত পৰেহি। সেই মহাৰণ বা জাৰ্ম্মাণ-যুদ্ধই যোৱা চাৰি বছৰ কাল একেৰাহে অশেষ ধন-জন নাশ কৰি পৃথিবীৰ কি যে পূৰাব নোৱাৰা ক্ষতি কৰিলে, আৰু তাৰ ফলস্বৰূপ আজি গোটেই পৃথিবী, বিশেষকৈ ইউৰোপ আৰু এচিয়াৰ ভিতৰত ভাৰতবৰ্ষ কেনেভাৱে জুৰুলা হৈ পৰিছে, তাক কোৱা বাহুল্য মাথোন। গতিকে, যোৱা বছৰত আমাৰ দেশৰ প্ৰকৃত অৱস্থাৰ বিষয়ে লিপিবদ্ধ কৰিবলৈ প্ৰয়াস পাওঁতেই শোকে খুন্দা মাৰি ধৰে, আৰু হাতৰপৰা কাপ খহি পৰে যেন লাগে। তথাপি, তেউজ বছৰতকৈ যোৱা বছৰৰ সোৰৰণী আৰু সামৰণী একেবাৰে সন্তোষজনক। তেউজ বছৰত মহাৰণৰ পূৰ্ণ প্ৰকোপত মানুহৰ মুখত হা-হুমুনিয়াহ মাথোন সাৰ হৈছিল ; যোৱা বছৰত সেই মহাৰণৰ নিবৃত্তিত আকৌ মানুহৰ মুখত হৰিষৰ তাৰ বিৰিঙি পৰিল, শান্তিৰ শীতল ছাঁত মানুহৰ উতলা প্ৰাণ আকৌ শাঁত হল। এই শান্তিত একেবাৰে আমাৰ বিশেষ আনন্দ এই যে, সেই কালান্তক মহাৰণৰ সামৰণীত আমাৰ পক্ষৰেই জয় আৰু আমাৰেই গৌৰৱ লাভ হল। সেই উপলক্ষেই এই মাহৰ ১৫ আৰু ১৬ তাৰিখে বৃটিছ সাম্ৰাজ্য জুৰি, বিশেষকৈ আমাৰ ভাৰতবৰ্ষত শান্তি-উৎসৱৰ বিৰাট আয়োজনেৰে পতা হৈছিল, আৰু আমি অসমীয়া প্ৰজায়ো ঠায়ে ঠায়ে শক্তি অনুসৰি সেই শান্তি-উৎসৱ পাতি আনন্দত উধাও হৈছিলোঁহঁক। আজি তাৰ সুখ-সোৰৰণীৰ সোণাময় ছেগত, আহক, আমি ৰাজভক্ত অসমীয়া প্ৰজাই উৰ্দ্ধবাহু হৈ আৰু হিয়া উবুৰিয়াই আমাৰ ৰজা, ৰাণী আৰু ৰাজপৰিয়ালৰ আন্তৰিক প্ৰীতি-ভক্তি জনাওঁহঁক, ঈশ্বৰৰ চৰণত সিবিলাকৰ দীৰ্ঘজীৱন আৰু জয়-যুগুতি কামনা কৰোঁহঁক।

প্ৰলয়ৰূপী ৰণ-বিগ্ৰহৰ উৎপাতৰ সময়ত ৰণুৱাসকলত

বাজেও সাধাৰণ জনপ্ৰাণীৰ মাজত আপদৰ আৰ্ত্তধ্বনি আৰু বিপত্তিৰ হাহাকাৰ সততে লগা আছেই। আৰু ভুক্তভোগী অসমীয়া ৰাইজ, আপোনাসকলক সেই বিষয়ে বহলাই বুজাবৰ সকাম নাই; 'অসমত মানৰ দিন'ৰ কাহিনী সম্পৰ্কে যিবিলাকে শুনিছে, তেওঁবিলাক সেই বিষয়ক সোৱঁৰণীত আপুনি আতুৰ হৈ পৰিব। বাস্তৱতে, মানৰ অসম আক্ৰমণত—সি বহু পুৰণিকলীয়া কাহিনী নহয়, এটা শতাব্দীও পুৰা নৌ হয়—সেই নৰপিশাচহঁতে অসমীয়া প্ৰজাৰ প্ৰতি যি অমানুষিক অত্যাচাৰ আৰু অকথনীয় আচৰণ কৰিছিল, তাৰ বিবৰণ শুনিলে আজিও প্ৰাণ কান্দি উঠে, লাজ-অপমানত মুৰ দোঁ খাই পৰে, প্ৰতিশোধৰ উত্তেজনাত শিৰে শিৰে তেজৰ সোঁত বৰলৈ ধৰে! কিন্তু, ৰাইজ, ইউৰোপৰ বিগত মহাৰণ তাতোকৈ জঘন্য, তাতোকৈ ঘৃণনীয়, আৰু তাতোকৈ অকথনীয়—ইউৰোপৰ জাৰ্ম্মাণ নৰ-ৰাক্ষসহঁত এচিয়াৰ নৰপিশাচ মানহঁতততকৈও শতগুণে অধম, নামত সুসভ্য ইউৰোপৰ জাৰ্ম্মাণ জাতি-ধামত অসভ্য এচিয়াৰ মান জাতিতকৈ হাজাৰ গুণে অসভ্য। ৰণক্ষেত্ৰৰ ৰণুৱাবিলাকৰ কথাকে নকওঁ, নিলগৰ নিৰীহ নিজাপি প্ৰজাৰ প্ৰতি জাৰ্ম্মাণ অত্যাচাৰ ব্যভিচাৰৰ কথা শুনিলে কাণত আঙুলি দিব লগাত পৰে! উন্নতিৰ মূধত উঠা ইউৰোপীয় সুসভ্য আৰু সুশিক্ষিত জাৰ্ম্মাণৰ পাশৱ আচৰণৰে সৈতে বিজালে অনুন্নত অসভ্য আৰু অশিক্ষিত মানহঁতৰ দানৱ ব্যৱহাৰ একোৱেই নহয় যেন লাগে। এতেকে, এনে উৎপাত, এনে অত্যাচাৰ, এনে আচৰণত যে পৃথিৱী জঁয় পৰিব, বিশেষকৈ সেই সৰ্ব্বগ্ৰাহী মহাৰণত লিপ্ত হোৱা পৃথিৱীৰ জাতিবিলাক যে অতিকৈ জুৰুলা হব, তাত সন্দেহ নাই। সেই জুৰুলা জাতিবিলাকৰ ভিতৰৰে ভাৰতবাসীও এজাতি, আৰু সেই জাতিৰে আসামবাসী এটা ঠেঙুলি। গতিকে, সেই সৰ্ব্বহন্তা মহাৰণৰ গৰাহত পৰি যে অসমীয়া প্ৰজা আজি জুৰুলা হৈ পৰিমইক, আৰু বিবিধ অভাৱ বিপত্তিত পৰি কঁকাল পোনাব নোৱাৰা হৈছোঁইক, তাক নকলেও হব; সুক্ষ্মদৰ্শী গৱৰ্ণমেণ্টে অৱশ্যে তালৈ দৃষ্টি ৰাখিছে, আৰু তাৰ বাবে হোৱা উপস্থিত আপদ আৰু আগন্তুক বিপদৰপৰা প্ৰজা-পুঞ্জক ৰক্ষা কৰিবলৈ ৰজাঘৰৰপৰা নিশ্চয় যুগুত যো-জা চলিছে চাগৈ। আৰু সেই সবল বিশ্বাসতে আমাৰ মানি আমি সম্প্ৰতি আমাক গিলিবলৈ মুখ মেলি থকা গোটা-দিয়েক ধাই ধাই অভাৱ-অসুবিধা আৰু আপদ-অমঙ্গললৈ গৱৰ্ণমেণ্টক আঙুলিয়াই দেখুৱাওঁ, আৰু তাৰ যুগুত প্ৰতি-বিধানৰ অৰ্থে খাটনি ধৰোঁহক। আমাৰ বিশ্বাস, গৱৰ্ণমেণ্টে এই বিষয়লৈ কেতিয়াও আওহেলা নকৰে।

বিগত মহাৰণৰ আকাশী ৰথত চৰি আমাৰ দেশলৈ অহা বিবিধ অভাৱ-অসুবিধা আৰু অপায়-অমঙ্গলৰ ভিতৰত আটাইতকৈ আগ হৈছে আম্নাৰ ভাতমুঠিৰো অভাৱৰ আগন্তুক। ইতিপূৰ্ব্বলৈকে "অসমত আকালো নাই, ভঁড়ালো নাই" এই সোণাময় বচনফাঁকিৰ যি গৌৰৱ আছিল; সি ক্ৰমাৎ টুটিবৰ আশঙ্কা দেখা যায়। মানৰ দিনৰ আগতে, মোৱামৰীয়াৰ বিদ্ৰোহৰ পাচত, অসমত কিছুকাললৈ আকালৰ পূৰ্ণ গৰাহত মাথোন টকাত চাউল একঠা, আৰু টেমীৰে সৈতে চাউল জুখি বেচা হৈছিল বুলি জনা যায়; এতিয়া বিগত বিদেশী মহাৰণৰ পাচত, অকাৰী পৰলীয়া চাউলৰ ভাও টকাত তিনি-চাৰি সেৰলৈ উঠা দেখা যায়। চাউলৰ ভাও এনে অতিপাতকৈ চৰি উঠাৰ কাৰণ ফঁহিয়াই চালে ফট্‌ফটীয়াকৈ ওলাই পৰে যে, ইউৰোপৰ মহাৰণ চলি থকাৰ কালত ৰণক্ষেত্ৰত খোৱাবস্তুৰ আৱশ্যকতা অতিপাতকৈ বাঢ়ি উঠে, আৰু সেই অনুপাতে পৃথিৱীৰ অন্যান্য দেশৰ লগতে ভাৰতবৰ্ষৰপৰা চাউলকে আদি কৰি বিবিধ খোৱাবস্তুৰ ৰপ্তানি বাঢ়িবলৈ ধৰে, অথচ ৰণে চুচি শ্ৰমজীৱী লোকৰ সংখ্যা কম কৰাত ইফালে উৎপনৰ পৰি-মাণ পৰিবলৈ ধৰে। তদুপৰি, ১৯১৮ চনত বৰষুণৰ অভাৱত ভাৰতবৰ্ষত শতকৰা ১৪ একৰ খেতি কৰা মাটি গড়-আবাদ হৈ পৰি আছিল; তাৰ ফলত ভাৰতবৰ্ষত মুঠতে ৪০ কোটি মোন ধানৰ উৎপন কম পৰে। এই দৰে এহাতে ৰপ্তানিৰ সোঁত প্ৰবল হোৱাত, আৰু ইহাতে উৎপনৰ পৰিমাণ অতিপাতকৈ পৰি যোৱাত ভাৰতবৰ্ষৰ সকলো প্ৰদেশতে উৎপনতকৈ অভাৱ অতিশয় চৰা হৈ উঠিল। ইয়াত বাজেও, মহাৰণৰ অভাৱ পুৰাওঁতেই ইফালে ৰেল-জাহাজৰো অভাৱ পৰাত, তাৰতৰ ভিতৰতে এঠাইৰপৰা

আন ঠাইলৈ ধান-চাউল আৰু অন্যান্য লাগতিয়াল খোৱা বস্তু নিয়া-অনাৰ অসুচল বাটি উঠাত, ছেগ বুজি, এভাগ বেপাৰী কাৰবাৰীয়ে অবিধিকৈ লাভ কৰিবৰ অভিপ্ৰায়ে বায়ত্তৰ-পৰা ধান-চাউল অলপ চৰা দৰত কিনি জমাবলৈ ধৰে। ইত্যাদি কাৰণত দেশত, বিশেষকৈ আমাৰ দেশত ধান-চাউল আৰু লাগতিয়াল খোৱা বস্তুৰ দৰ-ভাও অযথাকৈ চৰি উঠাত মজলীয়া তৰপৰ মানুহ প্ৰবৰ্ত্তিবলৈ টান পৰিছে। গতিকে, গৱৰ্ণমেণ্টে এই বিষয়ত বিশেষৰূপে মনোযোগ দিয়া বাঞ্ছনীয়। আৰু, বৰ সন্তোষৰ কথা যে, আমাৰ বৰ্ত্তমান চীফ কমিচনাৰ চাৰ বিটচন বেল বাহাদুৰে এনে টানৰ সময়ত অসমৰ ৰপ্তানি স্থগিত ৰাখিবলৈ বা কম কৰিবলৈ যত্নৰ ত্ৰুটী কৰা নাই। কিন্তু দুখৰ বিষয়, ভাৰত গৱৰ্ণমেণ্টে অবাৰিত ভাৱে বাট এৰি নিদিয়াত তেখেত সেই মহৎ উদ্দেশ্য সাধনত ভাল গুণ ধৰাব পৰা নাই। আন কি, যোৱা চেপ্তেম্বৰ মাহত বহা কাউন্সিলৰ মিটিঙত এই বিষয়ে অনৰেবল ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাই যি এটি লাগতিয়াল ৰিজলিউচন দাঙ্গি ধৰিছিল, সমৰ্থনৰ অভাৱত সিও এৰা পৰিল। পৰিতাপৰ বিষয়, আৰু আচৰিত মানিব লগীয়া কথা এই হে যে, চকাৰৰ লেজুত ধৰা চাহ-বাগিছাৰ চাহাব মেম্বৰৰ কথা নকওঁৱেই, চুৰমা উপত্যকাৰ অনৰেবল মৌলবী আব্দুল মজিদ খানবাহাদুৰৰ নিচিনা মানুহেও সেই ৰিজলিউচনত সমৰ্থনৰ বল দিবলৈ অমান্তি হল। আৰু, সেই কাউন্সিল-সভাৰ আলোচনাৰপৰাই জনা যায় যে, দৰং জিলাত বাজে আন কোনো জিলাত অসমৰ ৰপ্তানি ৰহিত কৰিবলৈ বিহিত বিধান কৰা নাই। যোৱা চেপ্তেম্বৰ মাহৰ মাজ ভাগলৈকে জাহাজেৰে ৰপ্তানি কৰিবলৈ কাৰবাৰী মহাজনসকলে গোটোৱা ২৩৬০ মোন চাউল আৰু ১৯৫৪ মোন ধান গৱৰ্ণমেণ্টৰপৰা থাওকতে কিনি ৰখা হয়, আৰু সি অকল দৰং জিলাত হে। বেলেদি ৰপ্তানি কৰা ধান-চাউল সেই দৰে ৰখাবলৈ কোনো প্ৰকাৰৰ ব্যৱস্থা হোৱা নাই। আমি আশা কৰোঁ, এই কাৰ্য্যত গৱৰ্ণমেণ্ট যেন নিশ্চেষ্ট নহয়, আৰু পাৰ্য্যমানে আমাৰ দেশৰ উৎপন্ন ধান-চাউল আৰু আন লাগতিয়াল খোৱা বস্তু নিয়মীয়া দৰত কিনি ৰাখি সেই দৰতে অভাৱৰ সময়ত আমাৰ দেশৰ মজলীয়া তৰপৰ মানুহক বেচিবলৈ ৰাখিবৰ নিমিত্তে যেন গৱৰ্ণমেণ্টে যত্ন কৰে। আৱশ্যক দেখিলে, ইংলণ্ড আৰু আমেৰিকাৰ নিচিনাকৈ গৱৰ্ণমেণ্টে সহায় দান (subsidy) দি খোৱা বস্তুৰ দৰ-ভাও নমাবলৈ আৰু পাৰ্য্যমানে অসমৰ ৰপ্তানি কমাবলৈ যত্নপৰ হোৱা বাঞ্ছনীয়। ইয়াৰ দ্বাৰা খেতিয়ক শ্ৰেণীৰ যৎসামান্য ক্ষতি হব পাৰে, কিন্তু সৰহভাগ প্ৰজাৰ যে উপকাৰ হব তাত সংশয় নাই। এই প্ৰসঙ্গতে মই কব খোজোঁ যে, বৰ্ত্তমান ইংলণ্ডত চলোৱা অযথা লাভ-নিবাৰণী আইন (Profiteering Act) ভাৰতবৰ্ষতো চলাব লাগে। তাৰপৰা অচিৰে ভাল গুণ পোৱা যাব। ইংলণ্ডত যোৱা অক্টোবৰৰ মাজ ভাগলৈ ১৩৫০ টা এই বিষয়ক গোচৰ উঠে; তাৰ ভিতৰৰ ১৩২০ টাৰ দণ্ড বিধান হয়, আৰু তাৰ ফলত ১,০৫,০০০ টকা অৰ্থদণ্ড হয়। ভাৰতবৰ্ষত এই আইনৰ প্ৰৱৰ্ত্তন, মোৰ মনেৰে, নিতান্ত আৱশ্যক হৈছে। অৱশ্যে, এই ব্যৱস্থা গৱৰ্ণমেণ্টে স্থায়ী ভাৱে বা সৰহ দিনলৈ যে চলাব লাগিব সিও নহয়; ৰণ-সামৰণীৰ লগে লগে সাধাৰণ ৰপ্তানি আপোনা-আপুনি পৰি আহিছে, আৰু তাৰ ফলত ধান-চাউল আৰু আন লাগতিয়াল খোৱা বস্তুৰ দৰ-ভাও আপুনি নামি নহাকৈ নাথাকে।

পেটৰ ভাতৰ পাচতে গাৰ কাপোৰ জীৱনধাৰণৰ এটা লাগতিয়াল বস্তু। এই কাপোৰৰ দৰ-ভাও বছৰদিয়েকৰ-পৰা এনে ভাৱে চৰি উঠিছে যে, দুখীয়া শ্ৰেণীৰ কথাকে নকওঁ, মজলীয়া তৰপৰ মানুহ প্ৰবৰ্ত্তা বৰ টান হৈ পৰিছে। সম্প্ৰতিকলৈকে কাপোৰ-কানিৰ বজাৰ-ভাও তিনি গুণকৈ চৰিছে। ইয়াৰো মূল কাৰণ হৈছে ইউৰোপৰ মহাৰণ। এহাতে ৰণুৱাবিলাকৰ কাৰণে কাপোৰ-কানিৰ ৰপ্তানি প্ৰবল, আৰু ইহাতে সেই ৰণৰ কাৰণেই কুলি বা শ্ৰমজীৱী মানুহৰ যোগান দিব লগা হোৱাত কাপোৰৰ কল-কাৰ-খানাবোৰত কাম কৰা মানুহৰ সংখ্যা টুটিবলৈ ধৰে, আৰু তাৰ লগে লগে সেই ৰণৰ বাবেই কল-কাৰখানাৰ সঁজুলি বা সৰঞ্জামৰ দৰ-ভাও অতিপাতকৈ চৰি উঠে। গতিকে, অভাৱতকৈ যোগানৰ শক্তি পৰি যোৱাত সাধাৰণ প্ৰজাৰ ব্যৱহাৰিক কাপোৰ-কানিৰ দৰ-ভাও সেই অনুপাতে বাঢ়িবলৈ ধৰে, আৰু তাৰ ফলত দেশত চোৰ-ডকাইতৰ

সংখ্যা বাঢ়ি চাবিওকালে উৎপাত-অশান্তি বাঢ়িবলৈ ধৰে; আন কি, ডকাইতৰ গঁচ নথকা আমাৰ অসমতো ডকাইতিৰ উৎপাত ব্যাপি পৰে। আৰু, তাৰ ফলত দেশত আত্ম-হত্যাৰ উদাহৰণো অভাৱ নোহোৱা হয়। ভাৰতবৰ্ষত, বিশেষকৈ আমাৰ অসমত কাপোৰ-কানিৰ দৰ-ভাও বায়তে চম্ভালিব নোৱৰা হোৱাৰ আৰু এটা ডাঙৰ কাৰণ এই যে, ধান-চাউল যেনেকৈ আমাৰ দেশতে উৎপন্ন হয়, কাপোৰ-কানিৰ সৰহভাগ তেনেকৈ বিদেশত হয়; অৰ্থাৎ অসমত আগটোৰ ৰপ্তানি আৰু পাচৰটোৰ আমদানি আগৰেপৰা চলা হৈ আছিল। সেই কাৰণে উল্লিখিত বিপদৰপৰা আমাৰ ৰায়তক ৰক্ষা কৰিবলৈ হলে গৱৰ্ণমেণ্টে অসমৰ ধান-চাউল ৰপ্তানি কমাবলৈ চোৱাৰ দৰেই, কাপোৰ-কানিৰ আমদানি কমাই দেশী কাপোৰ-কানিৰ যোগান বঢ়াবলৈ যুগুত দিহা কৰিব লাগে। তাৰ অৰ্থে, পোনেই অসমত কপাহৰ খেতিটোৰ উন্নতি সাধিবলৈ গৱৰ্ণমেণ্ট আৰু দেশী ব্যৱসায়ী আৰু কাৰবাৰী লোকসকল অগ্ৰসৰ হব লাগে; এই কাৰ্য্যত আসাম এচোচিয়েচনবো যত্নৰ ত্ৰুটী হব নালাগে। ১৯১৪—১৫ চনত ২,৪৫,৯৫,০০০ একৰ মাটিত ভাৰতবৰ্ষত কপাহ খেতি হৈছিল, আৰু তাৰ উৎপন্ন ৫২,০৯,০০০ টা পাঁচমোনীয়া 'গাইট' (bales) কপাহ পোৱা গৈছিল; কিন্তু ১৯১৮-১৯ চনত মুঠেই ২,০৪,৯৭,০০০ একৰত হে খেতি হয়, আৰু তাৰ উৎপন্ন ৩৬,৭১,০০০ পাঁচমোনীয়া 'গাইট' কপাহ পোৱা যায়। আমাৰ অসমত ১৯১৪—১৫ চনত ৩৪০০০ একৰ মাটিত কপাহ খেতি হৈছিল, আৰু তাৰপৰা ১২০০০ পাঁচমোনীয়া 'গাইট' কপাহ পোৱা গৈছিল; কিন্তু ১৯১৮—১৯ চনত ৩৩০০০ একৰত হে খেতি হয়, আৰু তাৰপৰাই ১২,০০০ 'গাইট' কপাহ পোৱা যায়। এই হিচাপৰপৰা দেখা যায় যে, অসমত কপাহৰ খেতিটো স্বভাৱতে বলী, আৰু এই দেশত এই খেতিৰ উন্নতি সহজে সাধিব পাৰি। এতেকে, সেই অৰ্থে গৱৰ্ণমেণ্টে সকলো প্ৰকাৰৰ সহায়-সুবিধা ৰায়তক দান কৰা বাঞ্ছনীয়। প্ৰথমতে কেবছৰমানলৈ কপাহৰ খেতিত ৰাজহ ৰেহাই দিব লাগে। তাৰ পাচত, কপাহৰ কাপোৰ-কানি যুগুত কৰা কলৰ সঁজুলিৰ ওপৰত আমদানি-কৰ (Import duty) ৰহিত কৰি বা কমাই দি, কপাহৰ ৰপ্তানি-কৰ (Export duty) বঢ়াই দিব লাগে। আৰু, কোনো গিৰীয়ে নতুনকৈ কাপোৰৰ কল-কাৰখানা খুলিলে তাত গৱৰ্ণমেণ্টে দান বা ঋণ আগবঢ়াই উৎসাহ দিব লাগে।

কাপোৰৰ নাটনি গুচাবলৈ আৰু তাৰ অতিপাতকৈ চৰি যোৱা দৰ-ভাও পেলাই আনিবলৈ নিৰ্দ্ধাৰিত নিৰিখীয়া বেচৰ কাপোৰৰ (Standard cloths) আমদানি অসমলৈ ক্ৰমাৎ বেচি কৰিব লাগে। যুক্তপ্ৰদেশ আৰু বিহাৰ-উৰিষ্যা প্ৰদেশত ওপৰঞ্চি থকা এই বিধৰ কাপোৰ অসমলৈ পাৰ্য্যমানে অনাবলৈ দিহা লাগিব লাগে। প্ৰত্যেক সদৰ, মহকুমা আৰু প্ৰধান প্ৰধান গাৱঁলীয়া কেন্দ্ৰবোৰত সেই কাপোৰ বেচাৰ যুগুত ব্যৱস্থা হব লাগে; আৰু চৰ-ডেপুটী কলেক্টৰ, মৌজাদাৰ, পঞ্চায়ত, ইবিলাকক সেই কাপোৰ বেচাৰ ভাৰ দিলে বেয়া নহয়। আৱশ্যক হলে এই কাৰ্য্যত গৱৰ্ণমেণ্টক যুগুত সহায় কৰিবলৈ আসাম এচোচিয়েচন, আহোম এচোচিয়েচন আৰু আন আন সভা-সমিতি সাজু হোৱা উচিত। আৰু বিগত মহাৰণৰ সময়ত পাচ হোৱা Cotton Cloth Act, (অৰ্থাৎ কপাহ কাপোৰ সম্পৰ্কীয় আইন,—যাৰ বলত কোনো কাৰখানাৰ পৰা Standard কাপোৰ নিৰ্দ্ধাৰিত বেচত কিনা হয়) ৰণৰ সামৰণিৰ লগে লগে ৰহিত হব নালাগে, কাপোৰৰ দৰ-ভাও ক্ৰমাৎ পৰি গৈ আকৌ আগৰ সমান নোহোৱালৈকে তাক চলাই ৰখাটো বাঞ্ছনীয়। তেতিয়া হলে এতিয়াৰ অন্যায় লাভবানৰ ওপৰত এটা সীমা-বান্ধনী থাকিব।

অকল ভাত কাপোৰেই নহয়, বৰ্ত্তমান মানুহৰ জীৱন ধাৰণৰ লাগতিয়াল বস্তু প্ৰায় আটাইবোৰৰে দৰ-ভাও চৰিবলৈ ধৰিছে, আৰু সেই চৰা গতি স্বাভাৱিক, ইয়াক কৃত্ৰিম উপায়েৰে সৰহ দিনলৈ ডেটা দি ৰখাটো অসম্ভৱ। এই দৰ চৰাৰ লগে লগে মজুৰিৰ নিৰিখ চৰাটোও স্বাভাৱিক,—এতিয়াই আগৰ পাঁচ-ছঅনাৰ ঠাইত কুলিৰ মজুৰি দহ-বাৰ অনালৈ উঠিছেই। আৰু ইয়াৰ পোন-হতীয়া হেঁচা পৰিছে খাইকৈ মজলীয়া অৱস্থাৰ আমোলা-

কেৰাণী শ্রেণী মানুহৰ ওপৰত ; সেই কাৰণে, এই শ্রেণীৰ চাকৰীয়াৰ বানচ অতি সোনকালে বঢ়াবৰ ব্যৱস্থা হোৱা উচিত। ৰোগ গুচোৱাতকৈ তাক নিবাৰণ কৰাটো যেনে ভাল, এই দুৰ্ভগীয়া শ্রেণীৰ মানুহে অসহনীয় বোধ কৰি, সময়ত 'ধৰ্ম্মঘট' ব্যৱস্থাত (strike) ধৰাৰ আগেয়েই সিবিলাকক উপযুক্ত বানচেৰে সন্তুষ্ট ৰখাটোও তেনে ভাল ব্যৱস্থা। চৰ্কাৰী চাকৰীয়াৰ বিষয়ে অনুসন্ধান-কমিটিয়ে (Public Service Commission) দিহা মতে গোটেই ভাৰতীয় (Imperial) চাকৰীয়াৰ বানচ যথাৰ্থৰূপে বাঢ়িছে, আৰু তৃতীয় শ্রেণীৰ চাকৰীয়াৰো (Poor service) বাঢ়িবৰ সম্ভাৱনা আছে, কিন্তু আমোলা শ্রেণী চাকৰীয়াৰ বানচ বঢ়োৱাৰ একো সু-দিহা নহল। তাৰ ফলত চৰ্কাৰৰ আৰু সৰ্ব্বসাধাৰণৰ লাভ নহৈ ক্ষতি হবলৈ হে ধৰিছে ; কাৰণ তেনে অলপীয়া বানচত আস্থাহীন হৈ অসন্তুষ্ট হোৱাত চাকৰীয়াৰ যোগ্যতা (standard of efficiency) স্বভাৱতে টুটিবলৈ ধৰিছে। সেই কাৰণে, মোৰ মনেৰে মেট্রিকুলেচন বা প্রবেশিকা পৰীক্ষা পাচ কৰা আমোলা শ্রেণীৰ চাকৰীয়াৰ বানচ অন্ততঃ ৫০ টকা হোৱা উচিত। এই প্রসঙ্গত এইটোলৈকো ভালকৈ মন কৰিব লগীয়া যে, ভাৰতত্তকৈ ইংলণ্ডৰ আয় দুকুৰি গুণ মান বেচি, অথচ ভাৰতবৰ্ষত বস্তুৰ দৰ চৰা আৰু চাকৰীয়াৰ বানচ তালৈমান গুণে তাকৰ। গতিকে, ইমানতে তাৰ প্রতিকাৰৰ ব্যৱস্থা নহলে সময়ত ইংলণ্ডৰ বৰ্ত্তমান ধৰ্ম্মঘট আপদতকৈও চৰা আপদ ভাৰতবৰ্ষত হোৱাৰ ঘোৰ আশঙ্কা দেখা যায়। এতেকে, চৰ্কাৰী আৰু আন কল-কাৰখানাৰ ব্যৱসায়ত লগোৱা হজুৰাৰ মজুৰি আৰু তাৰ লগে লগে আমোলা-কেৰাণীৰ বানচ বঢ়োৱাটো অত্যন্ত আৱশ্যক হৈ উঠিছে। আমি আশা কৰোঁ, গৱৰ্ণমেণ্টে আমাৰ এই যথাসাময়িক সঙ্কেত গ্রহণ কৰি যথাবিহিত কৰিবলৈ সোনকালে আগ বাঢ়িব।

কৃষি, শিল্প, বাণিজ্যাদি

অভাৱেই আবিৰ্ভাৱৰ মূল। এতেকে, বৰ্ত্তমান অভাৱৰ ছেগ ধৰি দেশত সৰ্ব্বত্রে কৃষি, শিল্প, বাণিজ্যাদি স্বাধীন ব্যৱসায়ৰ বল বঢ়াবলৈ গৱৰ্ণমেণ্ট আৰু বাহিৰে আগ বাঢ়িবৰ সময় চাপিছে। ইয়াৰ নিমিত্তে বঙ্গ-প্রমুখ্য ভাৰত-ভূমি পৃথিৱীৰ ভিতৰত এখন সাৰৱিয়াল দেশ ; তাৰ ভিত-ৰতো অসম দেশ আটাইতকৈ আগ। অসমৰ নিচিনা খেতিৰ সুযোগ্য ঠাই ভাৰতৰ্ষত নৈ বিচৰোই, পৃথিৱীৰ ভিতৰতো এনে এখন খেতিৰ উপযোগী ঠাই পাবলৈ টান। অসমত উৎপন্ন নহয় কি ?—অসমৰ চাহ-খেতি পৃথিৱীৰ ভিতৰত প্রধান বুলি প্রখ্যাত। এই চাহ-খেতিয়ে অসমত নতুন যুগ প্রৱৰ্ত্তন কৰাইছে। মানৰ দিনৰ আগেয়ে অসম কি আছিল, সেই কালতে চাহ-খেতি প্রৱৰ্ত্তন হোৱাৰ পাচৰপৰা তাৰ অৱস্থাৰ বাজে-ভিতৰে বহল উন্নতি হৈ তাৰ আশাতীত পৰিবৰ্ত্তন ঘটিছে, আৰু এতিয়া সেই চাহ-খেতিৰ গুণতে অসম পৃথিৱীৰ ভিতৰত এখন লেখৰ ঠাই হৈ উঠিছে। কিন্তু, বৰ পৰিতাপৰ বিষয় যে, অসমৰ সেই চাহ-খেতিৰ গৰাকী অসমীয়া নহয়,—ভেৰুবিমান বছৰৰ আগলৈকে এই খেতিৰ গৰাকী সম্পূৰ্ণ বিদেশী আছিল ; তাৰ পাচৰপৰা মাথোন দুই-চাৰি জনকৈ অসমীয়া চাহ-খেতিয়ক ওলায়, এতিয়া চাহ-খেতিত অসমীয়া কাৰবাৰী লোকৰ বাপ বাঢ়ি অহা দেখি সন্তোষ লগা হৈছে। আশা কৰা যায়, গৱৰ্ণমেণ্টৰপৰা বিশেষ সুবিধা লাভ কৰি এই বিশেষ খেতিৰ উন্নতি সাধনত অসমীয়া ক্রমাৎ কৃতকাৰ্য্য হৈ উঠিব। বৰ্ত্তমান সৰ্ব্বসাধাৰণীয়াকৈ যি চৰ্কাৰী সুবিধা এই বিশেষ খেতিৰ নিমিত্তে আগ বঢ়াই থোৱা হৈছে, অসমীয়া চাহ-খেতিয়কে তাতোকৈ অধিক বিশেষ অনুগ্রহ গৱৰ্ণমেণ্টৰ-পৰা লাভ কৰা বাঞ্ছনীয়। ইয়াত বাজেও, অসমত আন-আন সাধাৰণ আৰু লাভজনক সাগতিয়াল খেতিও অলপ আয়াসতে প্রচুৰ পৰিমাণে হয়। শালিধান, বাওধান, আহুধান, ধেঁহুধান, ময়ধান, গোমধান, মাটিমাহ, মগুমাহ, কলামাহ, বুটমাহ, মটৰমাহ, তিল, সৰিয়হ, কুঁহিয়াৰ, পাট, তামোল, বৰ-এঠা, লা, মৰাপাট, নেমু, সুমথিৰা, এইবিলাক সাগতিয়াল খেতিৰ নিমিত্তে অসমৰ নিচিনা উপযোগী ঠাই ভাৰতৰ ভিতৰত পাবলৈ নাই। কিন্তু বৰ বেজাৰৰ কথা, বৰ লাজৰ বিষয় যে, এনে বস্তুপ্রসূতী অসমভূমিৰ চাবিভাগৰ এভাগত মাথোন খেতি হয় ; বাকী তিনিভাগ গড়-আবাদ

হৈ পৰি থাকে। কৰতলীয়া ৰাজ্য এবি অসমৰ মাটিকালি তিনি-শ দহ লাখ একৰ, তাৰ ভিতৰৰ মুঠেই চাৰি কুৰি লাখ একৰত হে খেতি হয়, বাকী দুশ-তেৰকুৰি লাখ একৰ মাটি চন পৰি আছে ;—তাৰে তেৰকুৰি লাখ একৰ মাটিত হাবি, বাকী দুশ লাখ একৰ খেতিৰ উপযোগী মাটি পতিত হৈ পৰি আছে। বৰ্ত্তমান অভাৱ পূৰাবৰ ছেগতে যদি এই পতিত মাটিৰ আধামানো খেতিৰ তললৈ আনিব পৰা যায়, তেনেহলেও অসমে নিজৰ উৎপননেৰে নিজে টন-কিয়াল ভাৱে তৰিও চুবুৰীয়া প্ৰদেশক তৰাব পাৰে। এতেকে, এই ছেগতে গৱৰ্ণমেণ্টে অসমৰ উল্লিখিত যাই খেতিবিলাকৰ উৎপনৰ ৰপ্তানি কিছুকাললৈ ৰহিত কৰি, তাৰ লগতে সেইবিলাক উৎপনৰ আমদানি চেপি ধৰি, অসমীয়া ৰায়তক পাৰ্য্যমানে বিশেষ সুবিধাদি দান কৰি আৰু মূলধনৰ সাহায্য উদাৰ ভাৱে বঢ়াই দি অসমৰ খেতিৰ উন্নতি সাধিবলৈ যত্নপৰ হোৱা বাঞ্ছনীয়।

খোৱা বস্তুৰ খেতিত বাজেও, অসমত পিন্ধা কাপোৰৰ যোগান দিয়া মূলবস্তুৰ খেতি অলপ আয়াসতে প্ৰচুৰ পৰিমাণে হয়। অসমৰ এৰি, মুগা, পাট, কপাহ, মেজাঙ্কৰী, এইবিলাক আন দেশত বৰ আপুৰুগীয়া আৰু বহুমূলীয়া বস্তু। আৰু, এই কেইবিধ খেতিৰ উৎপন ততালিকে কাৰ্য্যত লগাবলৈ যি সুবিধা অসমত বৰ্ত্তমান, তেনে সুবিধা আৰু ক'তো নাই, অসমৰ ঘৰে ঘৰে শিপিনী, ঘৰে ঘৰে সূতা কটাৰ কল-কৌশলৰ ব্যৱস্থা বৰ্ত্তমান। কিন্তু, বৰ পৰিতাপ আৰু অতিশয় লাজৰ কথা যে, স্বদেশৰ এনে স্বাভাবিক খেতিৰ প্ৰতিও আওকণীয়া হৈ অসমীয়া প্ৰজা আপোন দোষত আজি বিককৱা হৈ পৰিছে। যি অসমৰ 'ৰেচম্' অৰ্থাৎ এৰি, মুগা, পাট, মেজাঙ্কৰী পৃথিবীৰ সকলো ঠাইতে আদৰণীয়, অসমীয়া মানুহে সেই স্বদেশজাত অতি উৎকৃষ্ট ৰেচমলৈ আওহেলা কৰি বিদেশী কৃত্ৰিম ৰংচঙ্গত ভোল গৈছে। আৰু, প্ৰজাবন্ধু গৱৰ্ণমেণ্টেও তালৈ এতিয়াও আওকণীয়া হৈয়ে আছে! মই টানি কওঁ যে, চাই থাকিবৰ আৰু সময় নাই, বৰ্ত্তমান অভাব পূৰোৱাৰ ছেগতে গৱৰ্ণমেণ্টে আৰু শিক্ষিত জনা-বুজা অসমীয়া বাইজে দেশৰ এই অতি আদৰণীয় আৰু অতি লাগতিয়াল খেতিৰ উন্নতি সাধিবলৈ দেহে-চিতে উৎসৰ্গীকৃত হৈ আগ বাঢ়ক। এই কাৰ্য্যত গৱৰ্ণমেণ্টক আৰু উদ্যোগী কাৰবাৰীক সহায় কৰিবলৈ আসাম-এচোচিয়েচন, আহোম-এচোচিয়েচন, আঞ্জুমান, গাৱঁলীয়া পঞ্চায়ত, অন্যান্য ৰাজহুৱা সভা-সমিতি আৰু আমাৰ দেশৰ শিক্ষিত ডেকাসকলে একাগ্ৰ চিত্তেৰে আগ বাঢ়িবলৈ সাজু হওক।

ওপৰত কোৱাৰ উপৰি, স্বভাৱৰ সম্পত্তিৰে সৈতে চহকী ৰত্নগৰ্ভা অসম জননীয়ে অতি ওখ দৰৰ আৰু বহুল লাভজনক কাৰবাৰৰ উপযোগী বিবিধ খনিজ পদাৰ্থ আৰু হাবিত আপুনি হোৱা বা সামান্য আপতালত নদন-বদন হৈ বাঢ়ি উঠা অতি উত্তম আৰু বহুমূলীয়া কাঠ, বাঁহ বেত আদি উৎপন্নৰ পোহাৰ মেলি যেন কাৰবাৰীলৈ বৈ হে আছে। কিন্তু, আমি সেই ৰত্নগৰ্ভা অসম মাতৃৰ কণা সন্তানে কৰিছোঁইক কি?— "সৰহ মাছত বগলী কণা"ৰ দৰে আমি কোনটো লম কোনটো থম, তাক ঠিক কৰিব নোৱাৰি আপোনহেৰোৱা হৈ হাবাথুৰি খাই মৰিছোঁ। আমি কণা-বগলীয়ে আমাৰ ঘৰৰ বস্তু মণিব আৰু বাছিব জনা নাই, কিন্তু দূৰ-বিদেশৰপৰা সূক্ষ্মদৰ্শী নিলগীয়া বিজ্ঞজনে আমাক চকুত আঙুলি দি দেখুৱাই দিছে, আমি হে দেখিও নেদেখা হৈ কণা-কুকুৰাৰ দৰে পতান খুচৰি মৰিছোঁইক। অসমত সোণ, লো, লোণ, কেৰাচিন তেল, শিলচুণ, কয়লা আদি খনিজ পদাৰ্থ অপৰ্য্যাপ্তকৈ আছে। সোৱণশিৰী নৈৰ গুৰিত কমোৱা অসমৰ কেঁচাসোণ পৃথিবীত এবিধ সৰ্ব্বোৎকৃষ্ট আৰু অতু-লনীয় বস্তু। অসমৰ খনিত ওলোৱা লোৰ নিচিনা উত্তম আৰু অলপে বহুলকৈ চাহ দিয়া লো পৃথিবীত অতি বিৰল। অসমৰ লোণপুঙৰ নিচিনা লোণৰ খনি পৃথিবীত সৰহ পাবলৈ নাই। লক্ষীমপুৰ জিলাৰ মাৰ্ঘেৰিতাত নতুনকৈ ওলোৱা প্ৰেট্ৰ'লিয়ম নামে চাকি লগোৱা কেৰাচিন তেলৰ খনিৰ বিষয় আপোনাসকলৰ অবিদিত নহয়। অসমৰ ঠায়ে ঠায়ে শিলচুণৰ খনি প্ৰচুৰ পৰিমাণে যে আছে তাক কোৱা বাহুল্য মাথোন। অসমৰ কয়লা খনি পৃথিবীত প্ৰখ্যাত; লক্ষীমপুৰ জিলাৰ উত্তৰ-পূব কোণত থকা লিডু কয়লা পাহাৰ আৰু তাৰ কাৰবাৰ আপোনাসকলৰ ভিতৰত

যি সকলে দেখিছে, সেই সকলে বুজিব পাৰিছে যে, অসমত কয়লা খনি কেনে অক্ষয় ভঁড়ালৰূপে জিলিকি আছে। সেই পিছু পাহাৰৰপৰাই নগাপৰ্ব্বতৰ কাষে কেণা বাটি যোৱা সেই কয়লা-খনিৰ বহল বিস্তৃতিৰ বিষয় অলপ দিনৰ আগতে প্ৰমাণিত হৈ আছে। এইবিলাক খনিত বাজেও, অসমৰ হাবিয়ে অসমক বৰ চহকী কৰি ৰাখিছে। অসমৰ শাল, সোণাৰু, কহিৰ, নাহৰ, গণসৰৈ, বোলা, আমাৰি, চাম, সৰল, এজাৰ এইবোৰৰ নিচিনা উত্তম কাঠ ভাৰতবৰ্ষৰ আন ঠাইত পাবলৈ টান; বিশেষকৈ, অসমৰ শাল কাঠ পৃথিৱীৰ বাণিজ্যপ্ৰধান ঠাইবোৰলৈ সততে আমদানি হয়। ইয়ানবিলাক স্বভাৱে দিয়া বহুমূলীয়া সম্পত্তি হাতত পায়ো অসমৰ সন্তানে কাৰবাৰৰ মোল নোপোৱাত নিতান্ত নিঃকিন আৰু দুখীয়া হৈ ভেবা লাগি চাই ৰৈছে! ইয়াৰ আচল কাৰণ কি?—শিক্ষাৰ নাটনি আৰু অভিভাৱক গৱৰ্ণমেণ্টৰ প্ৰকৃত সহায়-সহানুভূতিৰ অভাৱেই নহয় নে? অসমত শিক্ষা বিস্তাৰৰ বিষয়ে অলপ পাচত কিছুমান লাগতিয়াল কথা আপোনাসকলৰ আগত ফঁহিয়াই দেখুৱাম; কিন্তু গৱৰ্ণমেণ্টৰ প্ৰকৃত সহায়-সহানুভূতিৰ অভাৱৰ বিষয়ে এতিয়াই একে আষাৰে কওঁ যে, সঁচাকৈয়ে এই বিষয়ত এতিয়াও গৱৰ্ণমেণ্ট উদাসীন হৈয়ে ৰৈছে। আমি বুকু ভাঠি কব পাৰো যে, ওপৰত উনুকিয়াই অহা ডাঙৰ আৰু বিস্তৰ লাভজনক কাৰবাৰবোৰত ইউৰোপীয়ান কাৰবাৰক গৱৰ্ণমেণ্টে যেনেকৈ হাতৰ মুঠি মুকলি কৰি সহায়-সহানুভূতি দিছে, ইণ্ডিয়ান, বিশেষকৈ অসমীয়া কাৰবাৰীক তেনে সহানুভূতি দিয়া নাই, যদ্যপি দেশহিতৈষী গৱৰ্ণমেণ্টে আটাইতকৈ আগধৰি স্থানীয় বা দেশীয় মানুহক সেই-বিলাক কাৰবাৰলৈ সুবিধা দান আৰু মূলধনৰ সহায় দি উৎসাহ দিয়া নিতান্ত উচিত। গৱৰ্ণমেণ্টৰ সহায়-সহানুভূতিৰ অভাৱত কাৰবাৰত হাত দিও বিমুখ হোৱা শিক্ষিত অসমীয়া ডেকাৰ পটন্তৰ দিবলৈকো বহুত আছে। আন কি জাপান, ফ্ৰান্স আৰু ইংলণ্ডত কৃষি আৰু খনি-বিষয়ক শিক্ষা লাভ কৰি আহি নিজৰ দেশত যথোচিত সহায়-সহানুভূতি নাপাই সিবিলাকে বহু প্ৰয়ত্নেৰে শিকি-বুজি লোৱা কাৰবাৰ খুলিবলৈ অপাৰগ হৈ অনাই-বনাই ফুৰাৰ বিষয়ে বোধ কৰোঁ মই আটাইবিলাকৰ নাম ধৰি নকলেও আপোনাসকলে নিজৰ বিচাৰতে জানিব পাৰিব। তথাপি, বাট লগোৱা (Pioneer) বিধৰ ডেকা শ্ৰীযুত লক্ষেশ্বৰ বৰঠাকুৰ, শ্ৰীযুত গোলোকচন্দ্ৰ বৰা, শ্ৰীযুত ললিতচন্দ্ৰ দাস, শ্ৰীযুত গিৰীশচন্দ্ৰ বৰদলৈ এই কেইজনৰ নাম লৈ থওঁ। সৰহ কি কম, গৱৰ্ণমেণ্টে কামৰূপৰ নলবাৰীৰ ফালে নমুনা চাবলৈ বুলি (Experimental) বিৰাট আয়োজনেৰে কুঁহিয়াৰ খেতি ধৰি লৈ এতিয়াও তাত মুঠিয়ে মুঠিয়ে ধন অকাতৰে ভাঙিব পাৰিছে, কিন্তু শ্ৰীযুত লক্ষেশ্বৰ বৰঠাকুৰে বহু প্ৰয়ত্নে নিজৰ যত্নেৰে পাতি লোৱা কুঁহিয়াৰ খেতিও গৱৰ্ণমেণ্টৰপৰা সম্যক সহায় সহানুভূতি নাপাই বেজাৰ মনেৰে এৰি পেলাব লগাত পৰিল!—এতিয়া তেওঁক চৰকাৰী চাকৰি এটা দি এক প্ৰকাৰে মুখ মাৰি থোৱা হৈছে! ওপৰত নাম লোৱা আন কেইজনৰ দশাও তথৈবচ; বৰং বৰঠাকুৰতকৈও শোচনীয় হে। খনিৰ কাম-কাজত শিকি-বুজি ইংলণ্ডৰপৰা পৈণত হৈ আহি শ্ৰীযুত গিৰীশচন্দ্ৰ বৰদলৈয়ে সেই বিশেষ বিষয়ত কাৰবাৰ খুলিবলৈ যে সুবিধা নাপালেই, ইঞ্জিনিয়াৰিং বিভাগতো তেওঁ তিষ্ঠিব নোৱাৰিলে; অৱশেষত তেওঁক এতিয়া এটা প্ৰভিঞ্চিয়াল এক্জিকিউটিভ চাৰ্ভিচত গোজা মাৰি থোৱা হৈছে। মহাৰণৰ দোৰ্গোৰ পৰিণাম স্বৰূপ ইউৰোপ আৰু এচিয়াৰ ভাৰতবৰ্ষত কাগজৰ বিষম আকাল হোৱাতো, কাগজ প্ৰস্তুত কৰা বিদ্যা শিকি পাচ কৰি অহা অসমীয়া ডেকা শ্ৰীযুত কাশীনাথ শইকীয়াই নিলগে নিলগে অন্যান্য দেশত সেই কাৰবাৰ খোলাৰ আয়োজনত অনাই-বনাই ফুৰিছে, তথাপি শীহ, তৰাগছ ইত্যাদি কাগজ তৈয়াৰীৰ মূলবস্তুৰে ভৰা তেওঁৰ নিজৰ দেশ অসমত তেওঁ মুখ পোৱা নাই! এই বিষয়ে গৱৰ্ণমেণ্টে খবৰকে ৰাখিছে নে নাই তাৰো সন্দেহ নাপাওঁহক। তাৰ পাচত, কবলৈ গলে, বহুমূলীয়া কাঠ, বাঁহ, বেত, আদিৰে সৈতে মেট স্বৰা অসমত নিজাপি প্ৰজাই তাৰ কাৰবাৰলৈ গৱৰ্ণমেণ্টৰপৰা কোনো প্ৰকাৰৰ সহায়-সহানুভূতি পোৱাৰো আমি সন্দেহ নাপাওঁহক! বৰং, কঠোৰ 'জংঘলী আইন'ৰ ভৰিত নিৰ্দ্দয় অসমীয়া ৰায়তে কাৰবাৰ কৰা নিলগতে থাওক,

নিজৰ ঘৰ-দুৱাৰ কেইডোখৰ ভালৰূপে লবলৈকে অপাৰগ হোৱাৰ কথা আমি ভালদৰে জানো। তদুপৰি, বন-বিভাগৰ অধিকাৰবিলাকৰ তলতীয়া অলপীয়া বানচৰ কৰ্মচাৰীবিলাকৰ অন্যায় অত্যাচাৰত হোজা অসমীয়া প্ৰজা সততে ত্ৰস্তমান! এই বিষয়ে মই পোনপ্ৰথম কাউন্সিল সভাৰ সদস্য থাকোতে গৱৰ্ণমেণ্টৰ আগত ভালকৈ কহিয়াই দেখুৱাই থৈছো। সি যি হওক, এতিয়া মোৰ বক্তব্য এই যে, বৰ্তমান অভাৱৰ ছেগতে অসমীয়া প্ৰজাক এই বিষয়ক কাৰবাৰৰ মোল পোৱাবলৈ গৱৰ্ণমেণ্টে বন-বিভাগীয় বৰ্তমান টান নিয়মবিলাক অন্ততঃ কিছুকাললৈ ঢিলাই দি, কাঠৰ মাচুলাদি সমূলঞ্চে বেহাই দি বা কমাই ধৰি আৰু মূলধনৰ সহায় দান কৰি অসমীয়া প্ৰজালৈ এই উজু অথচ লাগতিয়াল বিষয়ক কাৰবাৰলৈ বাট মুকলি কৰি দিয়া নিতান্ত উচিত। ৰণৰ পৰিণামত বিবিধ বিদেশী বস্তুৰ অভাৱে আমাৰ দেশত এতিয়া হাহাকাৰ লগাইছে। এই সুযোগতে স্বদেশী বস্তুৰ প্ৰতি আদৰ বঢ়াই গৱৰ্ণমেণ্টে মন কৰিলে অসমীয়া প্ৰজাক স্বদেশী উৎপন্নেৰে এটা কাৰবাৰী জাতি কৰি তুলিব পাৰে।

১৯১৬ খ্ৰীষ্টাব্দৰ ১৯ মেইত গৱৰ্ণমেণ্টে যি শ্ৰম-শিল্পৰ অনুসন্ধান-সমিতি (Industrial Commission) গঠন কৰি সেই বিষয়ক তথ্য সংগ্ৰহ কৰাইছিল, সেই কমিচনৰ সিদ্ধান্ত মতামত আৰু পৰামৰ্শ গ্ৰহণ কৰিলেও, মই ওপৰত উনুকিয়াই অহা কৃষি, শিল্প, বাণিজ্য আদিত ভাৰতবাসীৰ, বিশেষকৈ অসমীয়া প্ৰজাৰ ৰাপ বঢ়োৱাত গৱৰ্ণমেণ্টে ভালেখিনি আগুৱাব পাৰিব। ইনডষ্ট্ৰিয়াল কমিচনৰ মতে, ভাৰতবৰ্ষত মূলবস্তু প্ৰচুৰ পৰিমাণে আছে; আৰু কৃষি, শিল্প, বাণিজ্যৰ উন্নতিৰ অৰ্থে প্ৰশস্ত থল আৰু সুবিধাৰ বাট মুকলি হৈ ৰৈছে; কিন্তু বৰ্তমান তাৰ শোচনীয় অৱস্থা। কুলিপানিৰ দুৰ্ব্বল অৱস্থা, উপযুক্ত মানুহৰ অভাৱ, মূলধন খটাব নজনা, এই বিলাকেই তাৰ অন্তৰায়। গতিকে, গৱৰ্ণমেণ্টে এই বিষয়টো ততালিকে হাতত লোৱা উচিত; আৰু তাৰ নিমিত্তে এটা সুকীয়া বিভাগ খোলাৰ নিতান্ত দৰকাৰ। এই প্ৰস্তাৱ আৰু পৰামৰ্শ কাৰ্য্যত লগাৰ পৰাকৈ কমিচনে উপায়-বুদ্ধি আৰু খৰচৰ হিহাও দেখুৱাই দিছে। ভাৰত গৱৰ্ণমেণ্টে কমিচনৰ সেই সিদ্ধান্তমত অনুমোদন কৰি বিলাতৰ ভাৰত-মন্ত্ৰীলৈ (Secretary of State for India) পঠিয়ায়। ভাৰতমন্ত্ৰীয়ে সেই অনুমোদন গ্ৰহণ কৰি সম্প্ৰতি সেই বিষয়ক আগতীয়া কাম হাতত লোৱাৰ অভিপ্ৰায়ে এটা কমিটী ততালিকে গঠন কৰিবলৈ অনুমতি দিছে। সেই অনুসৰি এতিয়া বিদেশত কল-কাৰখানাৰ শিক্ষা (Mechanical Engineering) আৰু বিশেষ বিশেষ শ্ৰমশিল্পৰ কল-কাৰখানাৰ শিক্ষাৰ (Technical Study) নিমিত্তে সৰহীয়াকৈ বৃত্তিদান কৰিবলৈ গৱৰ্ণমেণ্টে যুগুত দিহা কৰিব লাগে। তাৰ উপৰি, ভাৰতবৰ্ষতো ভিন্ ভিন্ স্কুল, কলেজ আৰু কাৰখানাত শিক্ষা লাভ কৰিবলৈ বৃত্তি দি শিক্ষাৰ্থী আগ বঢ়াব লাগে। এই প্ৰসঙ্গতে গৱৰ্ণমেণ্টে মন কৰিলে অসমীয়া শিক্ষাৰ্থীৰ সম্পৰ্কত অসমৰ 'উইলিয়মচন ফণ্ড'ৰ টকাৰপৰাও কিছুমান বৃত্তি বঢাই দি সেই পুঁজিৰ উৎপন্নৰ টকাৰ সদ্ব্যৱহাৰ কৰিব পাৰে। বৰ্তমান অসমত উল্লিখিত বিষয়ক শিক্ষাৰ নিমিত্তে মুঠেই তিনটা স্কুল আৰু শ্ৰেণী আছে,—(১) কহিমা টেক্‌নিকাল স্কুল, (২) টিপ্‌কাই ইন্‌ডষ্ট্ৰিয়াল ক্লাচ, (২) লুচাই ইন্‌ডষ্ট্ৰিয়াল ক্লাচ। ইমানেই যথেষ্ট হোৱা নাই, এইবিধৰ স্কুল, ক্লাচ আৰু লাগে। তাত বাজেও, বায়তৰ হাতৰ কাম—যেনে, কমাৰৰ কাম, বাঢ়ৈৰ কাম, শিপিনীৰ কাম ইত্যাদিৰ নিমিত্তেও অসমৰ লাগতিয়াল কেন্দ্ৰবিলাকত স্কুল আৰু শ্ৰেণী পাতি দি ৰাইজৰ উপকাৰ কৰিব পৰা যায়। বৃত্তিৰ সহায় পালে এইবিলাক স্কুল আৰু শ্ৰেণীত শিক্ষা লাভ কৰিবলৈ অসমীয়া ডেকা উৎসাহেৰে আগবাঢ়িব। কিন্তু এইবিলাক এটা সুকীয়া শ্ৰম-শিল্প শিক্ষাবিভাগক (Industrial Department) গতাব লাগিব; বৰ্তমান সাধাৰণ শিক্ষাবিভাগৰ হাতত সমৰ্পণ কৰিলে তাৰ সুফল ধৰাৰ আগন্তুক নাই। এই প্ৰসঙ্গতে কোৱা যায় যে, কটন কলেজত উদ্ভিদ্ বিদ্যা আৰু প্ৰাকৃত ভূগোল বিষয়ক শিক্ষা দিয়াৰ সুদিহা ততালিকে হব লাগে; জেৰাডুনত বনবিভাগীয় শিক্ষা লাভ কৰিবলৈ এতিয়াতকৈ কেইবাটাও বৃত্তি বঢ়াই দিব লাগে; লগলাগি কাৰবাৰ কৰা সভা-সমিতিৰ (Co-operative Society)

লেখ পাৰ্য্যমানে ক্ৰমাৎ বঢ়াবলৈ যত্ন হব লাগে; আৰু আসামত, বিশেষকৈ অসম উপত্যকাত ৰেজিষ্ট্ৰাৰৰ পদত পাৰ্য্যমানে অসমীয়া অফিচাৰ দিবলৈ চাব লাগে। এই বিষয়-বাৰ অসমীয়া অফিচাৰক দিয়াৰপৰা যে বিশেষ লাভ আৰু উপকাৰ আছে, তাৰ প্ৰমাণ আমি বৰ্ত্তমান অসমীয়া ৰেজিষ্ট্ৰাৰ ৰায়বাহাদুৰ কণকলাল বৰুৱা আৰু এচিষ্টেণ্ট শ্ৰীযুত প্ৰবোধচন্দ্ৰ বৰদলৈতে ভালকৈ পাইছোঁহক। শ্ৰম-শিল্প (Industrial Department) এটা স্বকীয়া বিভাগ হৈ উঠিলে তাকো এজন অসমীয়া ডিৰেক্টৰৰ জিম্মাত দিয়া উচিত হব, তাৰ নিমিত্তেও উপযুক্ত অসমীয়া অফিচাৰৰ অভাৱ নপৰিব, আৰু এই ডিপাৰ্টমেণ্ট সম্প্ৰতি কো-অপৰে-টিভ ডিপাৰ্টমেণ্টৰ লগত যুটীয়া হৈ থাকোতে যিজন ডিৰেক্টৰ আছে, আৰম্ভণত তেওঁকেই সেই পদত নিগাজী-কৈ ৰাখি সুচাৰুৰূপে কাৰ্য্য চলাব পৰা যাব। এই পদত বিদেশী ইউৰোপীয়ান অফিচাৰ নিযুক্ত কৰাৰপৰা, মোৰ মনেৰে, লাভতকৈ ক্ষতি অধিক হব। কাৰণ, তাৰ খৰচত সৰহ লাভ কৰিবলৈ চল থকাত, সৰহ খৰচেৰে লাভ ধৰিবলৈ গলে তাৰ ক্ষতি আপোনা-আপুনি ওলাই পৰে। চৰকাৰী বিষয়া ৰেজিষ্ট্ৰাৰৰ লগতে পাৰ্য্যমানে সৰহীয়াকৈ সন্মানী সংস্থাপক (Honourary Organisers) নিযুক্ত কৰিব লাগে, যাতে গাৱেঁ গাৱেঁ, অন্ততঃ প্ৰত্যেক লাগতিয়াল কেন্দ্ৰত এজোজনকৈ স্বকীয়া সন্মানী বিষয়াই যুটীয়া কাৰবাৰৰ বিধি ব্যৱস্থাদিৰ বিষয়ে আৰু ৰায়তৰ খেতি-বাতিত নতুন বৈজ্ঞানিক প্ৰথাৰে উলিওৱা শঁজুলি ব্যৱহাৰ কৰা বিষয়ে আৰু খেতিৰ মাটিত সাৰ যোগোৱা আদি প্ৰথাৰ বিষয়ে সঘনে সজ পৰামৰ্শ দিয়া হব পাৰে, তাৰ ওপৰত গৱৰ্ণমেণ্টে সদায় চকু ৰাখিব লাগে। এতিয়াৰ দৰে এটা কেন্দ্ৰত বহা পাতি বহি থকোটা কেন্দ্ৰলৈ সেই সজ পৰামৰ্শ বিলোৱা সুবিধি ততালিকে সংস্কাৰ কৰা উচিত। বিগত মহাৰণৰ পৰিণাম স্বৰূপে ইতিমধ্যতে সৰু-বৰ ভালেমান লিমিটেড কোম্পানী গঠিত হৈ ভাৰতবৰ্ষৰ ঠায়ে ঠায়ে কাৰবাৰৰ উন্নতি সাধনত ব্ৰতী হৈছে। এই সুযোগতে অসমতো যুটীয়া কাৰবাৰীৰ সভা-সমিতিৰ (Co-operative Societies) যন্ত্ৰ-কৌশলত বিবিধ বিষয়ক সৰু-বৰ কাৰবাৰৰ নিমিত্তে লিমিটেড কোম্পানী গঠিত হোৱাটো বাঞ্ছনীয়, আৰু এই বিষয়ত গৱৰ্ণমেণ্টে সমুচিত সহায় সহানুভূতি দিয়াটো নিতান্ত উচিত।

এই খিনিতে উল্লেখিয়াই থওঁ যে, খেতি-বাতিৰ ক্ৰমোন্নতি সাধিবলৈ হলে গৰু-ম'হৰ অৱস্থাৰ উন্নতি আগধৰি সাধিব লাগিব। এই কাৰ্য্য, মোৰ মনেৰে, যুটীয়া কাৰবাৰৰ সভা-সমিতি আৰু গাৱঁলীয়া পঞ্চায়তৰ হাতত সভাৰ পাৰি। সেই অৰ্থে ষাঁড় মেলা প্ৰথা বিস্তৃত ৰূপে ধৰা উচিত। তাকে এৰা ধৰাকৈ নহয়, একাগ্ৰতীয়া মনোযোগেৰে ধৰিব লাগে। ইতিপূৰ্ব্বে দুই-চাৰি ঠাইত এই কাৰ্য্যত গৱৰ্ণমেণ্টে হাত লগাই আকৌ কোঁচাই নিছে। তাৰ কাৰণ হৈছে, ভাল তত্ত্বাৱধানৰ অভাৱত গৱৰ্ণমেণ্টৰ সেই কাৰ্য্যে ভাল গুণ ধৰাব পৰা নাই। কিন্তু, মোৰ বিশ্বাস যে, এই ষাঁড়-মেলা কাৰ্য্য গৱৰ্ণমেণ্টে বিস্তৃতৰূপে আৰম্ভ কৰি কো অপাৰেটীভ চোচাইটী আৰু পঞ্চায়তবিলাকৰ তত্ত্বাৱধানত দিলে তাৰপৰা নিশ্চয় সোনকালে আশাতীত ফল পোৱা যাব। এই প্ৰসঙ্গতে ইয়াকো উল্লেখিয়াই থওঁ যে, গৱৰ্ণমেণ্টে ধাঁহ কৰ বুলি গৰু-ম'হৰ অযথাকৈ যি কৰ লগাইছে, সি দেশী ৰায়ত বা অসমীয়া ৰাইজক হতাশ কৰিছে। আন কি, গাৱঁত কোনো কোনো গিৰীয়ে কৰ-কাটলৰ ভয়ত নিজৰ গৰু ম'হৰ লেখ বঢ়োৱাতকৈ কমোৱাৰ চিন্তাত থকা দেখা গৈছে। তাৰ ফলত খেতিৰ ক্ষতিত বাজেও গাখীৰ আৰু ঘিঁউৰ অভাৱ বাঢ়িবলৈ ধৰিছে, যি অলপ পোৱা যায় সিও বিশুদ্ধ নহয়। এতেকে উপস্থিত সোণাময় ছেগত অসমীয়া প্ৰজাক কাৰবাৰৰ মোল ধৰাই স্বদেশী কৃষি-শিল্পাদিৰ উন্নতি সাধিবৰ সবল ভাব থাকিলে, গৱৰ্ণমেণ্টে গৰু-ম'হৰ ওপৰত লগোৱা কৰ একে-বাৰে নহলেও, অন্ততঃ কিছুকাললৈ ৰহিত কৰা নিতান্ত উচিত হৈছে।

ৰাইজ! কৃষি, শিল্প, বাণিজ্য বিষয়ক আলোচনা আগ বঢ়াই আপোনালোকক মই ভালেখিনি পৰলৈ আমনি কৰিছোঁ। সেই বাবে মোক ক্ষমা কৰিব। কাৰণ, এই বিষয়ৰ আলোচনাত মোৰ বিশেষ ৰাপ, আৰু ইয়াৰে সৈতে

আমাৰ দেশৰ নিজাপী প্ৰজাৰ উন্নতি-অৱনতিৰ নিচেই ওচৰ সম্বন্ধ। ইমানলৈকে আপোনাসকলৰ আগত এই কেইটা বিষয়ে যি উল্লুকিয়ালোঁ, তাৰ দহ গুণমান মোৰ কৰলৈ বাকী থাকিল। সময়ৰ নাটনিত তাক সম্প্ৰতি ইমানতে এৰিলোঁ। কেতিয়াবা ছেগ পালে বাকী থকা ভাগ ছোৱা-ছোৱাকৈ ৰাইজৰ আগত দাঙ্গি ধৰিবলৈ আশা থাকিল। সম্প্ৰতি কুঁহিয়াৰ খেতি আৰু মাছৰ কাৰবাৰৰ বিষয়ে দু-আষাৰমান কৈ এই বিষয়ক মোৰ বক্তব্যৰ সামৰণি মাৰিম।

কুঁহিয়াৰৰ খেতিৰ উপযোগী মাটি ভাৰতবৰ্ষত বিস্তৰ পাবলৈ আছে; বৰ্মা আৰু অসমত সেই মাটি আটাইতকৈ অধিক। কিন্তু কুঁহিয়াৰৰ ৰসৰপৰা অসমত গুড় হে বেচি হয়, তাৰপৰা চেনি তৈয়াৰী নিচেই সামান্য মাথোন হয়, সিও গুণত হীন। ইয়াৰ কাৰণ আন একো নহয়, কেৱল প্ৰস্তুত কৰা প্ৰণালীৰ অনভিজ্ঞতা, আৰু সেই বিষয়ত আমাৰ দেশৰ মানুহৰ আধাকেচেলুৱা শিক্ষা। উপযুক্ত শিক্ষিত লোকৰ হাতত এই কাৰবাৰ ন্যস্ত হোৱা হলে নিশ্চয় চেনিৰ উৎপন্ন এনে বিষম নহলহেঁতেন। জাপানত বৈজ্ঞানিক প্ৰণালীৰে কুঁহিয়াৰ খেতিৰ বিষয়ে সুশিক্ষিত হৈ অহা ডেকা কেইজনৰ হাতত এই কাৰবাৰ পৰা হলে, ইয়াৰ ফলাফল নিশ্চয় ভালেমান গুণে উত্তম হলহেঁতেন। যুগৰ পৰিণামত অসমলৈ চেনিৰ আমদানি টুটি অহাত এতিয়া তাৰ বজাৰ ভাও কঁকাল-ভঙ্গাকৈ চৰিছে। তাৰ হেঁচা অসমীয়া প্ৰজাই বিষমকৈ অনুভৱ কৰিছে। গতিকে, বৰ্ত্তমানৰ এই উত্তম ছেগতে দেশী চেনিৰ উৎপন্ন বঢ়াবলৈ বৰ চল লাগি পৰিছে। কিন্তু, দুখৰ বিষয়, এনে সু-সময়ত অসমৰ কুঁহিয়াৰ খেতি ক্ৰমাৎ পৰি যোৱাৰ চিন্ হে দেখা যায়। অসমত ১৯১৩—১৪ চনত ৩৭,৯০০ একৰত কুঁহিয়াৰ খেতি হৈছিল, ১৯১৭—১৮ চনত মুঠেই ৩২,৫০০ একৰত হে সেই খেতি হয়। এতেকে, ইন্‌ডষ্ট্ৰিয়াল কমিচনৰ উপদেশ মতে কুঁহিয়াৰ খেতিৰ উন্নতি সাধিবলৈ যি এটা কমিটী গঠিত হৈছে, সেই কমিটীয়ে অসমৰ এই খেতিৰ উন্নতি সাধনৰ বিষয় ততালিকে হাতত লোৱা বাঞ্ছনীয়। আৰু, গৱৰ্ণমেণ্টেও কামৰূপৰ নমুনামূলক (Experimental) কুঁহিয়াৰ খেতিত মুকলি হাতেৰে ধন খৰচ নকৰি তাৰ খৰচৰ ভাগ আনি আমাৰ দেশীয় স্বাধীন ব্যৱসায়ীক এই খেতিৰ উন্নতিত মূলধনৰ সহায় দিবলৈ দিহা লগোৱা উচিত। আৰু, কুঁহিয়াৰ খেতিৰ কাৰবাৰত ধৰা মানুহক মাটিৰ খাজনা বেহাই দি উৎসাহ দিবলৈ ব্যৱস্থা কৰা বিধেয়। কামৰূপৰ কুঁহিয়াৰ খেতিৰ কাৰখানাৰপৰা সৰ্ব্বসাধাৰণৰ ৰাইজক বুজনি দিয়া উচিত যে, কি কি কাৰণত সেই কাৰখানাৰ কাৰবাৰ বিফল হৈছে বা সি উন্নতি কৰিব পৰা নাই। সম্ভৱতঃ, মাটি আৰু সঁচ বাচিব নজনা দোষতে এই চৰ্কাৰী কাৰবাৰ বিফল হবলৈ ধৰিছে। কিয়নো, কোন্ বিধৰ কুঁহিয়াৰ কেনে মাটিত হয়, তাৰ অভিজ্ঞতাই এই খেতিৰ মূলশক্তি।

মাছ পোহা কথাটো অসমত নতুন। কাৰণ, এই কাৰবাৰ এই দেশত আগৰেপৰা নাই। অসমত নৈ, বিল, পুখুৰীবোৰত আগেয়ে এনে অপৰ্য্যাপ্তকৈ মাছ আছিল যে, অসমীয়া ৰাইজে হেলাৰঙ্গে মাছৰ অভাৱ গুচাব পাৰিছিল। কিন্তু, সেই সুবিধা ক্ৰমাৎ টুটি আহিছে। অসমত চৰ্কাৰৰ পৰা নৈ-বিলবিলাক নিলামত বেছি গৱৰ্ণমেণ্টে লাভৰ কাৰবাৰ নিজৰ হাতত লৈছে, আৰু তাৰ ফলত বিদেশী জালোৱা আহি একো একো খেপতে একোখন বিলৰ মাছ চুচি অন্ত পেলাইছেহি। এই প্ৰথা আৰু বছৰচেৰেক এতিয়াৰ দৰে অবাৰিত বা আওকণীয়া ভাৱে চলিবলৈ এৰি দিলে তাৰ পাচত সঁচাকৈয়ে অসমত মাছৰ আকাল লাগিব। সেই কাৰণে, মোৰ মনেৰে, গৱৰ্ণমেণ্টে এহাতে নৈ বিল নিলামত বেছি সামান্য লাভ ধৰা ৰীতি একেবাৰে ৰহিত কৰি বা অন্ততঃ কিছুকাললৈ স্থগিত ৰাখি, আন হাতে অসমীয়া প্ৰজাক মাছ পুহিবলৈ শিকাই তাৰ কাৰবাৰৰ মোল পোৱাবলৈ যত্নপৰ হব লাগে। অসমত নতুনকৈ ইনডষ্ট্ৰিয়াল ডিৰেক্টৰ নিযুক্ত হোৱাৰ পাচত, যোৱা বছৰত এই লাগতিয়াল শিক্ষা আৰু কাৰবাৰৰ উন্নতিলৈ গৱৰ্ণমেণ্ট আগ বঢ়াৰ আমি আভাস পাইছিলোঁইক, তাৰ কাৰ্য্যতঃ ফল কি ধৰিছে, তাৰ হে বিৱৰণ নৌওলায় এখোন। চুবুৰীয়া বঙ্গদেশত হলে ৰাইজে এই কাৰবাৰৰ মোল ভালকৈ বুজিছে, আৰু পছিমৰ কালে একোটা

পৃথিৱীৰ পোহনীয়া মাছেৰে একোঘৰ মানুহ ভালকৈ প্ৰবৰ্ত্তিছে; অসমত মাছ-পোহা কাৰবাৰবপৰা তাতোকৈ বেছি লাভজনক হব বুলি ভাঠি কব পাৰি।

শিক্ষা বিভাগ

সকলো বিধৰ উন্নতিৰ মূলতে শিক্ষা। আৰু, ওপৰত উনুকিয়াই অহা যেই-সেই বিশেষ শিক্ষাৰ মূলতো সাধাৰণ শিক্ষা। জনসাধাৰণৰ মাজত সাধাৰণ শিক্ষা বহলাব নোৱাৰিলে সৰ্ব্বসাধাৰণ প্ৰজাৰ বিবিধ বিষয়ক উন্নতি সাধনৰ চেষ্টাত গুটি ধৰাবলৈ টান। অলপীয়াকৈ বা শতকৰা তিনি-চাৰিজনকৈ শিক্ষিত হলে যথেষ্ট নহয়, সৰ্ব্ব-সাধাৰণ প্ৰজাৰ মাজত বহুলকৈ শিক্ষা বিস্তাৰ হব লাগে। সেই কাৰণে, বৰ্ত্তমান আমাৰ দেশত কি দৰে শিক্ষা বিস্তাৰ হৈছে তাৰ বিচাৰ লৈ, তাৰ কেনেকৈ উন্নতি সাধিব পাৰি সেই বিষয়ে অলপ আলোচনা কৰি চোৱা যাওক।

১৯১৬—১৭ চনত ওলোৱা পাঁচবছৰীয়া চৰ্কাৰী ৰিপোৰ্ট মতে অসমত শতকৰা ৩½ টা ছাত্ৰই শিক্ষা পাব লাগিছে; কিন্তু বঙ্গদেশত শতকৰা চাৰিটাৰ ওপৰ আৰু বৰ্ম্মা দেশত পাঁচোটাই শিক্ষা পাব লাগিছে। মুঠকৈ ধৰিলে, অসমত শতকৰা ৪½ জন মানুহে মাথোন লিখা-পঢ়া জানে। এতেকে, কোৱা বাহুল্য মাথোন যে, যি দেশত শতকৰা ৯৫ জনৰ ওপৰ মানুহে লিখা-পঢ়া নজনা, সেই দেশত কোনো বিধৰ উন্নতিয়েই শিপাই স্থায়ী হব নোৱাৰে। গতিকে, অসমত সাধাৰণ শিক্ষা সৰ্ব্বসাধাৰণ প্ৰজাৰ মাজত বহলোৱাটো আটাইতকৈ আগতীয়া কাম হৈছে। সেই কাৰণে, এতিয়া পাৰ্য্যমানে স্কুল-পঢ়াশালিৰ সংখ্যা বঢ়াব লাগে, সেই অৰ্থে উচিত খৰচ কৰিবলৈ গৱৰ্ণমেণ্ট সাজু হব লাগে, লাগতিয়াল কেন্দ্ৰত উপযুক্ত স্কুলত গৱৰ্ণমেণ্টে গ্ৰাণ্ট বঢ়াই দিব লাগে আৰু কোনো গিৰীৰ নিজা স্কুলতো লাগিলে চৰ্কাৰী আৰ্থিক সাহায্য দিবলৈ কৰ্ত্তৃপক্ষ প্ৰস্তুত থাকিব লাগে। ইয়াত বাজেও, অন্ততঃ নিম্নপ্ৰাইমাৰীৰ শেষলৈকে, আদিশিক্ষা ধৰাবন্ধা (Compulsory) হব লাগে। এই বিষয়ে ৺মহাত্মা গোখেলে যি বীজ পঁচাই থৈ গৈছে, সি পঁচোৱাতে পচিব নালাগে। আৰু, নিম্ন প্ৰাইমাৰীৰ শেষলৈকে ধৰাবন্ধা শিক্ষাৰ নিয়ম চলিলে কাৰো ক'তো একো ক্ষতিও নহয়। কাৰণ, নিম্ন প্ৰাইমাৰী পৰীক্ষাৰ্থীৰ বয়স সাধাৰণতে ১১ বছৰেই উৰ্দ্ধসীমা; এই বয়সৰ ভিতৰত ল'ৰাবপৰা দুখীয়া অভিভাবকে কোনো লেখত লব লগীয়া সহায় পাব নোৱাৰে। এতেকে, সেই বয়সত ল'ৰাক লিখা-পঢ়া শিকিবলৈ বাধা কৰিলে কাৰো যুক্তিসঙ্গত আপত্তি হব নোৱাৰে। অৱশ্যে, কোনো একেবাৰে অৱস্থাহীন মানুহে পঢ়াশালিৰ লাগতিয়াল সঁজুলিৰ যোগান দিবলৈকে অপাৰগ হোৱাটোও সম্ভৱ। তেনেস্থলত অতীজৰ নিয়মে কাগজৰ সলনি ল'ৰাক কলাপাতত লিখিবলৈ দিব পৰা যায়, আৰু লোকালবোৰ্ড বা গৱৰ্ণমেণ্টৰপৰা যথাৱতকৈ দুখীয়া ফণ্ড একোটা পঢ়াশালিবিলাকত দিয়াৰ দিহা কৰিব পৰা যায়, য'ৰপৰা নিতান্ত দুখীয়া ল'ৰাক কিতাপ-ফলি আদি কিনি দি সহায় কৰা হব পাৰে। মোৰ মনেৰে হলে, ইয়াতকৈও খৰচৰ ভাৰ অলপ গধুৰ হলেও গৱৰ্ণমেণ্টে প্ৰাইমাৰী শিক্ষা ধৰাবন্ধা কৰাটো নিতান্ত বাঞ্ছনীয় হৈছে। কাৰণ, ওপৰত কৈ অহা কৃষি, শিল্প, বাণিজ্যাদিৰ উন্নতি সাধনৰ নিমিত্তে প্ৰজাৰ মাজত সাধাৰণ শিক্ষা বহলোৱাৰ এতিয়া অত্যন্ত আৱশ্যক হোৱাৰ স্থলতো, অসমৰ প্ৰাইমাৰী পঢ়াশালি-বিলাকত ছাত্ৰসংখ্যা বাঢ়ক ছাৰি ক্ৰমাৎ টুটিবলৈ হে ধৰিছে। ১৯১৭—১৮ চনৰ চৰ্কাৰী ৰিপোৰ্ট মতে নিম্ন-প্ৰাইমাৰী পঢ়াশালিৰ ছাত্ৰসংখ্যা আগতকৈ ৪০০০ চাৰি হাজাৰ কমিছে! আমি জানো, অনেক ঠাইত নতুন স্কুল খুলিবলৈ ছাত্ৰ নোপোৱাত পৰিছে। তেজপুৰৰ কথা মই ভালকৈ কব পাৰোঁ, তাত বৰ্ত্তমান খৰচ কৰিবলৈ টকা আছে, কিন্তু নতুন পঢ়াশালি খুলিবলৈ ছাত্ৰ নাই। এতেকে এই খাপৰ আদিশিক্ষা ধৰাবন্ধা কৰিলে লাভত বাজে ক্ষতি নাই, আৰু এই নিয়ম অতি সোনকালে চলাবলৈ গৱৰ্ণমেণ্টে দিহা কৰা একান্ত বাঞ্ছনীয়।

এই খিনিতে একেষাৰ শিক্ষক সম্বন্ধেও কৈ থব লাগে যে, সাকৰা কৰিবলৈ হলে শিক্ষক সাৰবান হোৱাৰ আৱশ্যক। গতিকে, শিক্ষকৰ বানচ, অন্ততঃ বৰ্ত্তমান দিন-কাল চাই সন্তোষজনকৈ সোনকালে বঢ়োৱাৰ ব্যৱস্থা হোৱা উচিত। তাৰ লগতে ইয়াকো কোৱা যায় যে, প্ৰাইমাৰী শিক্ষাৰ

পাঠ্যবিলাক জটিল হৈ যাতে সি সৰু ল'ৰাক শিক্ষাৰ বেমেজালিত নেপেলায় তাৰ ওপৰত গৱৰ্ণমেণ্টে আৰু শিক্ষিত বাইজে চকু ৰখা বাঞ্ছনীয়। বৰ্ত্তমানৰ পাঠ্য-পুথিৰ এভাগ, বিশেষকৈ গৱৰ্ণমেণ্টে নিজে যিবিলাক উলিয়াই চলাইছে তাৰ সৰহভাগ যে মহতকৈ শিং চৰা হোৱাৰ নিচিনা হৈছে, তাক কোৱা বাহুল্য মাথোন; প্ৰাইমাৰী চৰ্কাৰী সাহিত্য কোৰ্চ দুখন এণ্টেঞ্চ কোৰ্চতকৈও ডাঙৰ! ইয়াৰ দ্বাৰাই গৱৰ্ণমেণ্টে ৰাইজৰ আৰু এটা ডাঙৰ অপকাৰ কৰিছে, যে, গৱৰ্ণমেণ্টে পাঠ্যপুথি লিখাই এৱনীয়াকৈ ইউৰোপীয়ান কোম্পানীৰ দ্বাৰা প্ৰচাৰ কৰোৱাত দেশৰ কৃতবিদ্য লেখক আৰু প্ৰচাৰকবিলাক হতাশ হৈ সেই কাৰবাৰত নিশ্চেষ্ট হব লগাত পৰিছে। কিতাপ লিখা আৰু তাক প্ৰচাৰ কৰি বেচা কাৰবাৰত গৱৰ্ণমেণ্টে হস্তক্ষেপ কৰাটো যে বৰ আপচু হৈছে তাক কোৱা বাহুল্য মাথোন। এই কু-ৰীতি গৱৰ্ণমেণ্টে অচিৰে এৰি পেলোৱা উচিত। আৰু, বছৰচেৰেকৰপৰা অসম উপত্যকাৰ পুথি-বেচা মেলৰ (Text Book Committee) অধোগতি দেখিও ৰাইজ হতাশ হব লগাত পৰিছে। ইয়ো গৱৰ্ণমেণ্টৰে অযথাকৈ মেলৰ বচাৰ এটা অপৰিহাৰ্য্য ফল। এতেকে, অতি সোনকালে অসমৰ টেক্সট্ বুক্ কমিটীৰ সংস্কাৰ ঘটা উচিত; আৰু এই বিষয়ত "আসাম সাহিত্য সভা" আৰু "আসাম এচোচিয়েচনে" একাপতীয়াকৈ লগাটো বাঞ্ছনীয়।

মজলীয়া থাপৰ অসমীয়া ছাত্ৰবৃত্তি পঢ়াশালিৰ সংখ্যা মোৰ মনেৰে এতিয়াতকৈ আৰু ভালেমান বাঢ়িব লাগে। এই থাপৰ পঢ়াশালিৰ উপকাৰ বিবিধ। এই শ্ৰেণীৰ পঢ়াশালিয়ে সততে নিম্ন-প্ৰাইমাৰী পঢ়াশালিৰ নিমিত্তে উপযুক্ত শিক্ষকৰ যোগান দিয়ে; এতেকে তাৰ সংখ্যা বাঢ়িলে ভাল শিক্ষকৰ সংখ্যা বাঢ়ি বৰ্ত্তমানৰ অভাৱ সোনকালে গুচিব। এই থাপৰ পঢ়াশালিৰ শিক্ষা বিনা মাচুলে বিলোৱা হয়, গতিকে যিবিলাক দুখীয়া ল'ৰা হাইস্কুলত পঢ়িবলৈ অক্ষম, সেইবিলাকে ইয়াত যথাৰতৰূপে শিক্ষা লাভ কৰিবলৈ সুবিধা পাইছে। এতিয়া চলি থকা মজলীয়া থাপৰ পঢ়াশালিৰ শিক্ষা সাঙ্গ কৰা নিদৰ্শনী পত্ৰ (Leaving certificate) দিয়া প্ৰথা বৰ উত্তৰ আৰু উপকাৰী হৈছে; আৰু আগৰ দৰে চৰ্কাৰী পৰিদৰ্শকসকলে স্কুলে-স্কুলে গৈ মহলা লৈ চাৰ্টিফিকেট দিয়া নিয়মটো সংস্কাৰ কৰি বৃত্তি-পৰীক্ষাৰ দৰে সদৰ বা মহকুমাৰ ঘাই কেন্দ্ৰত মহলা দিয়া বা লোৱাৰ নিয়ম প্ৰৱৰ্ত্তিত হোৱাত সি আৰু উত্তম হৈছিল। কিন্তু দুখৰ বিষয়, এই উত্তম নিয়ম সলাই আকৌ ইতিপূৰ্ব্বৰ দৰেই আপোচ মহলা (informal test) লৈ লিভিং চাৰ্টিফিকেট দিয়াৰ নিয়ম চলাবলৈ হে গৱৰ্ণমেণ্টে স্থিৰ কৰিছে। এই মহলাত উত্তীৰ্ণ হোৱা নিদৰ্শন-পত্ৰ ভবিষ্যতে ছাত্ৰৰ বিশেষ উপকাৰত আহে, —তাৰ বলতে সিবিলাকে পঢ়াশালিৰ পণ্ডিত হব পাৰে, চাৰ্ভে স্কুলত সোমাবলৈ বাট পায়, নৰ্ম্মাল স্কুলত উচ্চ শিক্ষা লাভ কৰিবলৈ চল পায়, আৰু তলৰ থাপৰ চৰ্কাৰী অফিচ, কোম্পানীৰ কাৰ্য্যালয়, চাহ-বাগিছাৰ কেৰাণী-মহৰী ইত্যাদি চাকৰিত সোমাবলৈ বাট মুকলি পায়। মোৰ মনেৰে, এই নিয়ম মজলীয়া ইংৰাজী স্কুলতো চলাব লাগে, আৰু মজলীয়া অসমীয়া পঢ়াশালি বঢ়োৱাৰ লগে লগে মজলীয়া স্কুলৰ সংখ্যাও পাৰ্য্যমানে বঢ়াব লাগে। ইয়াৰপৰা ৰাইজৰ বহুল উপকাৰ সাধিত হব। কোনো কোনো প্ৰাইভেট আৰু সাহায্যকৃত স্কুল কৃতকাৰ্য্য হব নোৱাৰাৰ উদাহৰণ দি কৰ্তৃপক্ষে কব পাৰে যে, মজলীয়া ইংৰাজী স্কুল প্ৰৱৰ্ত্তোৱা বৰ টান বা অসম্ভৱ। কিন্তু মই ভাঠি কওঁ যে কৰ্তৃপক্ষৰ তেনে সমিধান নিতান্ত অসাৰ; কিয়নো গৱৰ্ণমেণ্টৰপৰা যথেষ্ট সহায়-সহানুভূতি পালে এই শ্ৰেণীৰ স্কুলৰ প্ৰতিপত্তি বঢ়াত বিপৰ্য্যয় ঘটাৰ অলপো আশঙ্কা নাই; বৰঞ্চ, মই জনাথিনিত, কোনো গৱৰ্ণমেণ্ট মজলীয়া ইংৰাজী স্কুলৰ অৱনতি ঘটা নাই, কিন্তু গৱৰ্ণমেণ্ট গ্ৰাণ্টৰ অভাৱত হে ভালেমান এই শ্ৰেণীৰ স্কুল এৰা পৰিছে।

হাইস্কুলৰ অভাৱো অসমত বৰকৈ উধাইছে। ইয়াৰ সংখ্যা যে ভালেমান দিনৰ আগেয়েই বঢ়াব লাগিছিল, ঠায়ে ঠায়ে স্থাপিত হোৱা প্ৰাইভেট হাইস্কুল বিলাকেই তাৰ প্ৰমাণ। তাৰ ভিতৰত লাগতিয়াল কেন্দ্ৰ নাজিৰাত 'আহোম ইনষ্টিটিউচন', জাঁজিত 'জাঁজি হাইস্কুল' বহাত

'বহা হাইস্কুল', যোৰহাটত 'জৰ্জ্জ চেমিনেৰী', এইবিলাকেই প্ৰধান ; কিন্তু বৰ দুখৰ বিষয় যে, শিক্ষাবিভাগৰ বৰ্ত্তমান বিষয়াসকলৰ আওপকীয়া প্ৰস্তাৱ লোকাল গৱৰ্ণমেণ্টে সমৰ্থন কৰাত এই প্ৰাইভেট হাইস্কুল কেইখন মৰা পৰিবলৈ ধৰিছে,—অহা ১ জানুৱাৰীৰ আগেয়েই ইউনিভাৰ্চিটীত স্বীকৃত হব নোৱাৰিলে এই স্কুল কেইখনৰপৰা হাইস্কুলৰ শ্ৰেণী উঠাই দিবলৈ হুকুমজাৰি হৈছে! ক'ত গৱৰ্ণমেণ্টৰ সহায়-সহানুভূতি পাই প্ৰাইভেট স্কুলৰ উন্নতি হব, ক'ত গৱৰ্ণমেণ্ট বিষয়াৰ প্ৰস্তাৱ মতে সি এতিয়া লোপ পায়! নাজিৰাৰ নিচিনা লাগতিয়াল কেন্দ্ৰত আহোম হাইস্কুল এটাৰ কিমান আৱশ্যক তাক শিক্ষাবিভাগীয় কৰ্ম্মচাৰীয়ে বুজিব নোৱাৰাটোৱে সিবিলাকৰ বিচাৰত খুত থকাটো প্ৰমাণ কৰিছে। জাঁজিৰ নিচিনা এটা লাগতিয়াল কেন্দ্ৰত এখন প্ৰাইভেট হাইস্কুলে ঠাইৰিব নোৱাৰাটো বাস্তৱতে শিক্ষাবিভাগৰ বৰ্ত্তমান বিষয়াৰ অদূৰদৰ্শিতাৰ ফল মাথোন। যোৰহাটৰ নিচিনা লোকাৰণ্যত জৰ্জ্জ চেমিনেৰীৰ নিচিনা প্ৰাইভেট হাইস্কুল এটা টিকিব নোৱাৰাটো শিক্ষাবিভাগীয় বিষয়াৰ মইমতীয়া বিচাৰৰ কুফল বুলি আশঙ্কা হয়। বহাৰ নিচিনা আওহতীয়া অথচ অতি লাগতিয়াল এটা কেন্দ্ৰত স্থাপিত হোৱা প্ৰাইভেট হাইস্কুলখন যথোচিত চৰ্কাৰী সহায়-সহানুভূতিৰে সৈতে টনকিয়াল কৰিব পৰা হলে শিক্ষাবিভাগীয় বিষয়াৰ গৌৰৱ হে বাঢ়িলহেঁতেন। তাত বাজেও, মোৰ মনেৰে, দেৰগাওঁ, পলাশবাৰী, লক্ষ্মীপুৰ, কহিমা, শদিয়া, এইবোৰ ঠাইতো একোখন হাইস্কুল স্থাপিত হোৱা নিতান্ত উচিত। মুঠতে, এতিয়াতকৈ আৰু ভালেমান হাইস্কুল অসম উপত্যকাত বাঢ়িব লাগে আৰু গৱৰ্ণমেণ্টে সৰ্ব্বপ্ৰকাৰ সহায়-সহানুভূতিৰে সৈতে এই মহৎ কাৰ্য্যানুষ্ঠানত ৰাইজক উৎসাহ দিয়া উচিত। কিন্তু, দুখৰ বিষয়, নতুনকৈ হাইস্কুল বঢ়াবৰ চেষ্টা হওক ছাৰি, যি আছে তাৰো লেখ টুটাবলৈ কাৰবাৰ হোৱা যেন হে দেখা যায়। আৰু, স্কুলৰ মাচুল বঢ়াই, স্কুলবিলাক আপোন শক্তিৰ বলত ভিত্তিৰপৰা (Self supporting) কৰিবলৈ প্ৰস্তাৱ উঠিছে। কিন্তু, মোৰ চুটি দৃষ্টিৰে যিমানলৈ দেখিছো, তাৰ দ্বাৰা প্ৰকৃততে স্কুলবোৰ আত্মশক্তিত নিৰ্ভৰ কৰিব পৰা নহৈ ক্ৰমাৎ দুৰ্ব্বল আৰু গৱৰ্ণমেণ্টৰ গাত জেঙনি লোৱাহে হবগৈ। কিয়নো, এতিয়াৰ মাচুলৰ হেঁচাকে অনেক দুখীয়া ছাত্ৰৰে সহিব নোৱাৰা হৈ আছে, তাক সাধাৰণতে বঢ়ালেও পাকলাগি সি ছাত্ৰ খেদাব বুজিহে হব, আৰু তাৰ ফলত বৰ্ত্তমান আৰ্থিক অৱস্থা হীন হৈ ভৱিষ্যতে স্কুলবোৰ গৱৰ্ণমেণ্টৰ বোকোচাত পধুৰ বোজা হবগৈ মাথোন।

এইখিনিতে আকৌ এবাৰ উজুকিয়াব খোজো যে, স্কুল-মাষ্টৰবিলাকৰ বানচৰ বিষয়ে এতিয়াও যুগুত বিবেচনা কৰা হোৱা নাই। মোৰ বিবেচনাত নিৰ্দ্ধাৰিত নিয়মে উন্নতিলৈ বাট নথকা চাকৰি (ungraded service) সম্বন্ধে যি নতুন ব্যৱস্থা হৈছে তাত মজলীয়া অসমীয়া পঢ়াশালিৰ শিক্ষকবিলাককো সুমুৱা উচিত, কাৰণ মজলীয়া ইংৰাজী স্কুলৰ মাষ্টৰসকলৰে সৈতে সিবিলাকৰ যোগ্যতা প্ৰায় সমান। গতিকে, মজলীয়া অসমীয়া পঢাশালিৰ শিক্ষককো সেই ব্যৱস্থাভুক্ত নকৰিলে সেই শ্ৰেণীৰ শিক্ষকৰ পদলৈ গুণী লোক আগ নবঢ়া হব। নিৰ্দ্ধাৰিত উন্নতিলৈ বাট-লগা চাকৰিৰ (graded service) দৰ্ম্মহা বঢ়াই তাৰ সংস্কাৰ সধা বিষয়ক আলোচনা চলিব লাগিছে। মোৰ মনেৰে সিবিলাকৰ দৰ্ম্মহা ১০০ টকাৰপৰা আৰম্ভ হোৱা বাঞ্ছনীয়। কিন্তু অতি দুখৰ বিষয়, আৰু বৰ হতাশ হব লগীয়া কথা যে, বহুদিনৰ সেই বাঞ্ছিত ফল পাওঁ-পাওঁ হওঁতেই সি এতিয়া হাতৰপৰা আঁতৰি যোৱাৰ নিচিনা হৈছে ; ১৯১৮—১৯ চনীয়া চৰ্কাৰী ৰিপোৰ্টত চীফ কমিচনাৰৰ মন্তব্যত কোৱা হৈছে, যে, সেই থাপৰ শিক্ষকৰ বানচ্ বঢ়োৱাৰ প্ৰস্তাৱ গৃহীত হৈ তাৰ মঞ্জুৰিলৈ পৰ্য্যন্ত যুগুত হৈ উঠিছে। পিচে, ওচৰ-ভৱিষ্যতত তাৰ নিমিত্তে টকাৰ যোগা মাৰিব পৰা হব নে নহয় তাৰ চিন্ নাই এখোন। কিন্তু, বঙ্গদেশত হলে এই নতুন স্কীম এই বছৰৰপৰাই কাৰ্য্যত পৰিণত হব। ১৯১৯ চনৰ ১৮ চেপ্তেম্বৰত চেক্ৰেটৰী অৱ ষ্টেটৰপৰা টেলিগ্ৰাফত এই স্কীম মঞ্জুৰ কৰি পঠিওৱা হয়, আৰু সেই মঞ্জুৰী আদেশ সেই মাহৰ ২১ তাৰিখে ভাৰত গৱৰ্ণমেণ্টৰ হাতত পৰিছেহি। সেই তাৰিখৰেপৰা বঙ্গদেশৰ গ্ৰেজেড্ চাৰ্ভিচৰ

শিক্ষকসকলৰ মৰ্য্যদা বাঢ়িব বুলি বঙ্গ গৱৰ্ণমেণ্টে প্ৰদেশিক কাউন্সিলত সম্বিধান দিছে। তেন্তে, আমাৰ গৱৰ্ণমেণ্টে নো চেপি ধৰি কিয় ইহঁতকণিও কুহুম নোহোৱা কৰিবলৈ ধৰিছে, তাৰ সম্ভেদ আমাৰ কাউন্সিলৰ মেম্বৰসকলে গৱৰ্ণমেণ্টৰপৰা লৈ আমাৰ ৰাইজক জানিবলৈ দিব নে? হাইস্কুলৰ হেডমাষ্টৰ আৰু ডেপুটী ইনস্পেক্টৰবিলাকৰ চাকৰি প্ৰাদেশিক (Provincial) কৰাৰ কথা আছিল। পিচে তাৰ ফলত কেৱল নৰ্ম্মাল স্কুল দুখনৰ চুপাৰিনটেন্ডেণ্ট দুজনৰ চাকৰিহে প্ৰাদেশিক হল। মই চাওঁতে হলে, প্ৰস্তাবিত বাকীবিলাকো একে লগে হব লাগিছিল। কলেজৰ লেক্‌চাৰাৰবিলাকক চবৰ্ডিনেট চাৰ্ভিচত সুমুৱাবৰ দিহাকৰণ হৈছে; মোৰ মনেৰেও সিবিলাকক প্ৰভিন্সিয়াল চাৰ্ভিচত ঠাই দিয়াৰ আগেয়ে কিছুকাল বিশেষ গ্ৰেডত ৰখাটো বেয়া নহব।

অসমত উচ্চশিক্ষাৰ অভাব আৰু আৱশ্যকতালৈ চাই এই উপত্যকাত কলেজৰো নাটনি অনুভব কৰা গৈছে। বৰ্ত্তমান একেটা প্ৰথম শ্ৰেণীৰ কলেজে গোটেই আসাম উপত্যকাৰ আটাইবিলাক অসমীয়া শিক্ষাৰ্থীক ঠাই দিব পৰা নাই; বহুবি ভালেমান ল'ৰাই মেট্ৰিকুলেচন পাচ কৰি তাতকৈ উচ্চ শিক্ষালৈ বাট নাপাই বেজাৰ মনেৰে সিমানতে সিবিলাকৰ শিক্ষাৰ মূধা ফুটাই ঘৃণীয়া সংসাৰী হব লগাত পৰিছে! সেই কাৰণে সম্প্ৰতি যোৰহাটত এটা দ্বিতীয় শ্ৰেণীৰ কলেজ দিয়া নিতান্ত প্ৰয়োজন হৈছে। অকল যোৰহাটতে তিনি চাৰিখন হাইস্কুল বৰ্ত্তমান; আৰু গোটেই শিৱসাগৰ জিলাত মুঠতে দহখনমান হাইস্কুল আছে। এইবিলাক স্কুলৰপৰা বছৰি যিমান ছাত্ৰ মেট্ৰিকুলেচনত উত্তীৰ্ণ হয়, তাৰেই সেই কলেজ চলিব পাৰিব; তদুপৰি খৰচৰ অভাৱত দূৰৈ গুৱাহাটীত নিজ খৰচত পঢ়িবলৈ যাব নোৱাৰা ওপৰ-চুবুৰীয়া জিলাকেইখনৰপৰাও গৈ তাত দুখীয়া ছাত্ৰ ভৰ্ত্তি হোৱাৰ সম্ভাৱনা আছে। আজিকালি গুৱাহাটীৰ হোষ্টেলত ভেৰকুৰিমান টকা দিলেহে ভালে থাকিব পাৰি। ধৰিবলৈ গলে, ই এটা দুখীয়াৰ কথাকে নকওঁ, মজলীয়া থাপৰ মানুহৰ পক্ষে কঁকাল-ভঙ্গা আৰু চহকীয়ে সহিবলৈ টান পোৱা খৰচ;— আগৰ কলিকতাৰ খৰচৰ ই ডেৰ গুণ। এতেকে, এই খৰচৰ নিৰিখ যাতে সোনকালে নমাব পাৰি তালৈ কৰ্ত্তৃপক্ষৰ যত্ন হোৱা বাঞ্ছনীয়। আন হাতে চাবলৈ গলে, বৰ্ত্তমান প্ৰচলিত জুনিয়াৰ আৰু চিনিয়াৰ বৃত্তিৰ মূল্য অযথাকৈ তাকৰ হৈছে; সেই বৃত্তিৰ সহায়েৰে ছাত্ৰৰ পূৰ্ণ উপকাৰ লাভ নহয়। ১০৲ টকীয়া আৰু ১৫৲ টকীয়া জুনিয়াৰ বৃত্তি, আৰু ২০৲ টকীয়া চিনিয়াৰ বৃত্তিৰ লগত আৰু ১৫৲/২০৲ টকা অভিভাবকে যোগান নিদিলে গুৱাহাটীৰ কলেজত ছাত্ৰ প্ৰৱৰ্ত্তিব নোৱাৰে; গতিকে অভিভাৱকৰ আহুকাল একেদৰেই থাকে। কিন্তু, আগৰ কলিকতীয়া বৃত্তি হলে জোখৰ আছিল, তেতিয়া সেই বৃত্তিৰ উপৰি অভিভাবকে মাহেকীয়াকৈ যোগান দিব লগা নহৈছিল। এতেকে, মোৰ মনেৰে, এতিয়াও ছাত্ৰ গুৱাহাটীত প্ৰৱৰ্ত্তিব পৰাকৈ সেই বৃত্তি বঢ়াই দিয়া উচিত। আৰু, হোষ্টেলৰ চুপাৰিনটেনডেণ্টসকল সততে অসমীয়া হোৱা নিতান্ত উচিত। এই বিষয়ে ইয়াৰ আগৰেপৰা অসমীয়া ৰাইজে যথাযথ কাৰণ দেখুৱাই গৱৰ্ণমেণ্টক থাটনি ধৰিবই লাগিছে।

অকল সাধাৰণ পন্থীয়া (general line) শিক্ষাৰ কলেজ হলেই আমাৰ বৰ্ত্তমান অভাৱ নুগুচে; আমাক ইঞ্জিনিয়াৰিং কলেজ, মেডিকেল কলেজ, ট্ৰেইনিং কলেজ, শ্ৰম-শিল্প শিক্ষাৰ কলেজ, এইবিলাকো সোনকালে লগা হৈছে। বৰ্ত্তমানে গুৱাহাটী শিক্ষাৰ কেন্দ্ৰস্থল, আৰু শিলঙত ৰাজধানী থাকেমানে সি ৰাজ-দুৱাৰ। গতিকে, ওপৰত কোৱা কলেজবিলাক আৰু ছিলটত পাতিবলৈ প্ৰস্তাব কৰা শিক্ষকৰ ট্ৰেইনিং কলেজটোও গুৱাহাটীতে পাতি, আসামত ঢাকা ইউনিভাৰ্চিটীৰ দৰে সুকীয়াকৈ ইউনিভাৰ্চিটী এটা পাতিবলৈ দিহা কৰাটো একান্ত বাঞ্ছনীয়।

সংস্কৃত শিক্ষাৰ উন্নতিলৈকো মনোযোগ দিয়াৰ সময় পৰিছে। অসমৰ বৰ্ত্তমান সংস্কৃত টোলবিলাক উন্নত কৰাৰ যুগুত দিহা লাগিব লাগে। এই অৰ্থে অসমৰ নিমিত্তে এটা সুকীয়া সংস্কৃত বোৰ্ড গঠিত হোৱা বাঞ্ছনীয়, আৰু তাত সংস্কৃতৰ লগে লগে ইংৰাজী শিক্ষা দিয়াৰো ব্যৱস্থা হব লাগে। আৰু সংস্কৃত টোলৰপৰা হাইস্কুললৈ শিক্ষক নিয়াৰ

নিয়ম চলিব লাগে ; তেহে টোলত ভৰ্ত্তি হবলৈ ছাত্ৰৰ উৎসাহ বাঢ়িব।

মাদ্ৰাচাৰ সংখ্যা অসমত ক্ৰমাৎ বঢ়াবলৈ চোৱা উচিত, আৰু ছিলটৰ দৰে অসমতো ওখ থাপৰ মাদ্ৰাচা স্থাপন কৰিবৰ সময় উপস্থিত। এই বিষয়ত কৰ্ত্তৃপক্ষই সোনকালে মনোযোগ দিয়া বাঞ্ছনীয়।

ডিব্ৰুগড়ৰ বেৰি হোৱাইট মেডিকেল স্কুলত ছোৱালীৰ নিমিত্তে এটা স্বকীয়া শ্ৰেণী খোলাৰ নিতান্ত আৱশ্যক হৈছে। এই শ্ৰেণীত পঢ়া ছাত্ৰীয়ে চব-এচিষ্টাণ্ট চাৰ্জ্জনৰ পৰীক্ষা ছাত্ৰৰে সৈতে সমানে দিবলৈ আৰু ধাত্ৰী শিক্ষাৰ অৰ্থে স্বকীয়া শ্ৰেণী পাতিবলৈ সুগুত ব্যৱস্থা হব লাগে। বৰ্ত্তমান এই ডাক্তৰী স্কুলৰ ছাত্ৰসংখ্যা আৰু পাচ সংখ্যালৈ চালে, ই অসমৰ ছাত্ৰলৈ নহৈ আন প্ৰদেশী ছাত্ৰলৈ স্থাপিত হোৱা যেন হে লাগে। এই বিষয়ে আজি ভালেমান দিনৰপৰা কাকতে-পত্ৰে অসমীয়া ৰাইজৰ আপত্তি বিস্তৰ শুনিবলৈ পোৱা গৈছে। গতিকে, এতিয়াৰপৰা অসমীয়া ছাত্ৰ সৰহকৈ ভৰ্ত্তি কৰি, অসমীয়া ছাত্ৰৰ নিমিত্তে আগধৰি বৃত্তিৰ ব্যৱস্থা কৰি আৰু তাত অসমীয়া শিক্ষক সৰহ কৰাৰ বিধান কৰি অসমীয়া ৰাইজৰ এই বিষয়ক বেজাৰ-আপত্তি সোনকালে গুচাবলৈ সুবিধা কৰাৰ অৰ্থে এই জাতীয় মহাসভাৰ জৰিয়তে মই গৱৰ্ণমেণ্টক টানি অনুৰোধ কৰোঁ।

ছোৱালীৰ সাধাৰণ শিক্ষাৰ উন্নতিৰ নিমিত্তেও গৱৰ্ণমেণ্টে মনোযোগ বঢ়োৱা উচিত। সেই অৰ্থে অতি সোনকালে ছোৱালীৰ নিমিত্তে স্বকীয়া প্ৰাইমাৰী আৰু মজলীয়া স্কুলৰ সংখ্যা বঢ়োৱা নিতান্ত আৱশ্যক হৈছে। এই ব্যৱস্থাৰ অভাৱত ল'ৰাৰ স্কুলত পঢ়া ছোৱালী খাতৰি গৈ মূঠৰ ওপৰত ছাত্ৰীৰ সংখ্যা বিষমকৈ কমিছে। অসমত মজলীয়া ইংৰাজী ল'ৰাৰ স্কুলত পঢ়া ছোৱালীৰ সংখ্যা ১৯১৬—১৭ চনত ১৮৯ আছিল ; ১৯১৭—১৮ চনত সেই সংখ্যা ১৫২ লৈ টুটিল ; মজলীয়া অসমীয়া ল'ৰাৰ স্কুলত পঢ়া ছোৱালীৰ সংখ্যা ১৯১৬—১৭ চনৰ ১৯৯ৰপৰা ১৯১৭ ১৮ চনত ১৬৩ লৈ টুটিল ; প্ৰাইমাৰী স্কুলত পঢ়া ১৯১৬—১৭ চনৰ ছাত্ৰীৰ সংখ্যা ১৪১৭৯ৰপৰা ১৯১৭—১৮ চনত ১৩৩২৭ লৈ টুটিছে। ই দেখাদেখিকৈ স্ত্ৰীশিক্ষাৰ অৱনতিৰ চিন্ নহয়নে ? এনে চিন্ দেখিও তাৰ নিবাৰকৰণৰ নিমিত্তে শিক্ষাবিভাগীয় বিষয়া নিশ্চেষ্ট থকাটো মোৰ আপত্তিজনক কথা হৈছে, আৰু গৱৰ্ণমেণ্টে তেওঁলোকক এই বিষয়ত টোকা দি পেলোৱা বাঞ্ছনীয়। উচ্চশিক্ষাৰ নিমিত্তে ওখ থাপৰ ছোৱালী স্কুলৰো অসমত বিশেষ আৱশ্যক হৈছে, আৰু এই বিষয়ে গৱৰ্ণমেণ্টক ভালেমান দিনৰেপৰা খাটনি ধৰি অহা হৈছে। বৰ সন্তোষৰ কথা যে, তাৰ ফলস্বৰূপেই ডিব্ৰুগড়ত এটি গৱৰ্ণমেণ্ট ছোৱালী হাইস্কুল স্থাপন কৰা গৈছে। সেই বাবে সকলো অসমীয়া ৰাইজে গৱৰ্ণমেণ্টৰ শলাগ লৈছোঁহক। কিন্তু, সেই একেটা স্কুলেই আমাৰ দেশৰ এই বিষয়ক ডাঙৰ অভাৱ পূৰাব নোৱাৰিব। সেই কাৰণে, আমি আৰু গোটাদিয়েক ছোৱালী হাইস্কুল সোনকালে পাবলৈ গৱৰ্ণমেণ্টৰ ওচৰত খাটনি ধৰোঁহক ; আৰু তাৰে আগতীয়া ফলস্বৰূপে তেওঁলোকে আৰু এটা ছোৱালী হাইস্কুল যোৰহাটত বা গুৱাহাটীত পাতিবলৈ যেন সুবিধা লাগি উঠে, এই বাঞ্ছা। এইখিনিতে নাম-নিমিত্তকৈ উল্লেখ কৰিয়াই থওঁ যে, বৰ্ত্তমান গৱৰ্ণমেণ্টৰ আলোচনাভুক্ত দেশী ভাষাৰ জৰিয়তে শিক্ষা প্ৰদান প্ৰণালী (Vernacular media of instruction) ছোৱালীৰ হাইস্কুল আৰু কলেজৰ নিমিত্তে বিশেষ লাগতিয়াল। এতেকে ল'ৰাৰ শিক্ষাত সেই প্ৰণালী প্ৰচলন অলপ পলম হলেও, ছোৱালীৰ শিক্ষাত সেই প্ৰণালী তৎক্ষণাত প্ৰচলিত হোৱা বাঞ্ছনীয়। এই বিষয়ে মোৰ বহল মন্তব্য ইতিপূৰ্ব্বেই দৰং জিলাৰ ডেপুটী কমিচনাৰৰ জৰিয়তে গৱৰ্ণমেণ্টক শোধোৱা হৈছে, আৰু তাত এই প্ৰণালীৰ সমৰ্থনত বিশদ যুক্তি প্ৰয়োগ কৰা গৈছে।

আবকাৰী কাৰবাৰ

ওপৰত আলচি অহা কৃষি, শিল্প, বাণিজ্য আৰু বিবিধ বিষয়ক শিক্ষা যেনেকৈ অসমৰ দৈহিক আৰু নৈতিক অৱস্থাৰ উন্নতিৰ প্ৰধান উপায়, তেনেকৈ অসমৰ আবকাৰী কাৰবাৰ তাৰ মাৰাত্মক অন্তৰায়। কানি, ভাং আৰু কটিকাই অসম দেশক কি ভাৱে হতশ্ৰী কৰি ৰাখিছে আৰু দিনক-দিনে তললৈ নিয়াইছে, তাৰ ব্যাখ্যা ইয়াত পুনৰুক্তি

হব মাখোন; সেই বিষয়ে আজি ভালেমান দিনৰপৰা অসমীয়া শিক্ষিত সমাজে আলোচনা চলাবই লাগিছে, কিন্তু কোনো এটা সভ্য সিদ্ধান্তত থিৰ দি তিষ্ঠিব হে পৰা নাই। "কানিয়েই অসমদেশ খালে" এই কথা আজি ল'ৰাৰপৰা বুঢ়ালৈকে সকলোৰে মুখত শুনিবা, কিন্তু তাৰ গৰাহৰপৰা আত্মৰক্ষাৰ কাৰ্য্যকৰী দিহাকৰণৰ বিষয়ে ক'তো একো শুনিবলৈ নোপোৱাঁ। কাৰণ, অসমীয়া আজি মুখৰ মানুহ, কামৰ মানুহ নহয়; মুখেৰে দেশোদ্ধাৰ কৰাত আমি কাজুৱা, কাৰ্য্যেৰে দেশৰ উপকাৰ সধাত আমি পেপুৱা! নহলে, কানি, ভাং, ফটিকাৰ বগী এনে দিনতো চৰিব কিয়?

১৯১৮—১৯ চনৰ চৰ্কাৰী ৰিপোৰ্টৰপৰা জনা যায় যে, আবকাৰী ৰাজহ তাৰ আগৰ বছৰতকৈ শতকৰা ৮৮১৬ গুণলৈকে বাঢ়িছে। এই বাহিৰ মূলত এঁহাতে কানি, ভাং, ফটিকা আদি বাগিয়াল বস্তুৰ কাটন বৃদ্ধি আৰু আন হাতে তাৰ ওপৰত কৰ বৃদ্ধি। সেই বাবেই যোৱা বছৰত কানি ৫৯ মোন, ভাং ৫৫ মোন আৰু ফটিকা ২৯৮৮৬ গ্যালন বেচিকৈ কাটন গৈছে। এই কাটন বৃদ্ধিৰ কাৰণটো অলপ পাচতে ফঁহিয়াই চোৱা যাব, কিন্তু কৰবৃদ্ধিৰ ফলাফল উদং হৈ ওলাই আছে। গৱৰ্ণমেণ্টে আবকাৰী বস্তুৰ কাটন কমাবলৈ একেটা উপায় অবলম্বন কৰিছে, কেৱল কৰ বঢ়োৱা। যোৱা কুৰি বছৰমান এই যুক্তিৰেই কৰ বঢ়াই আনি আছে; কিন্তু ফলিতাৰ্থত কাটন দুটুটি ক্ৰমাৎ আবকাৰী ৰাজহ বাঢ়িছে। তাৰ ফল স্বৰূপেই,১৯১৭—১৮ চনত আবকাৰী ৰাজহ ৫৩,৭১,৭৯৯৲ টকাৰ ঠাইত সেই ৰাজহ ১৯১৮—১৯ চনত ৫৮,৪৪,৬০৭৲ টকা হৈছে; আৰু ১৯১৯—২০ চনলৈ অকল লাইচেঞ্চ মাচুলেই ৩,০৪,৬২৫৲ টকা আগতকৈ বেচি আদায় কৰা হৈছে, আৰু কৰ বাঢ়নিত কিমান বাঢ়েগৈ কব পৰা নাই এখোন। এনে স্থলতো উল্লিখিত চৰ্কাৰী ৰিপোৰ্টত চীফ কমিচনাৰ বাহাদুৰে কব খোজে যে, "আবকাৰী ৰাজহ বঢ়োৱাটো গৱৰ্ণমেণ্টৰ উদ্দেশ্য নহয়; আৰু কৰ-কাটল নলগোৱাকৈয়ে যদি আবকাৰীৰ অপকাৰ নিবাৰণ কৰিব পাৰি, তেন্তে সমুদায় আবকাৰী খাজানা এৰি দিবলৈকো তেখেত প্ৰস্তুত আছে।" ই অতি উত্তম কথা। শুনি বাঁওতেই প্ৰাণ শাঁত লাগি যায়। কিন্তু, এই উক্তিৰ যুক্তি বিচাৰি বাইজৰ মনত স্বাভাবিকতে প্ৰশ্ন উঠিব যে, তেন্তেনো সিদিনা আসাম কাউন্সিল সভাত এনে কথাৰ ওপৰতে তেখেতৰ কাউন্সিলৰ বয়োজ্ঞানবৃদ্ধ সদস্য, অসমৰ লোকমান্য স্বীকৃত বৃদ্ধ নেতা মাননীয় ৰায়বাহাদুৰ ফণিধৰ চলিহা ডাঙৰীয়াক তেখেতে নিকৰুণ বা কৰ্কশভাৱে কিয় আক্ৰমণ কৰিছিল? ৰায়-বাহাদুৰ ডাঙৰীয়ায়ো সেই একে উদ্দেশ্যেই হে তেখেতৰ দাতব্য মন্ত্ৰণা গৱৰ্ণমেণ্টৰ বিচাৰ-বিবেচনালৈ আগ বঢ়াইছিল মাখোন। চীফ কমিচনাৰ বাহাদুৰে তেখেতৰ তেনেজন বৃদ্ধ মন্ত্ৰীৰ মন্ত্ৰণা বা পৰামৰ্শ বিৰক্তিৰ ভাবেৰে দলিয়াই যে পেলালেই, তেখেতৰ কৰ্তৃৰা মন্তব্যেৰে সেই হে জ্ঞানী আৰু মানী বৃদ্ধ সদস্য এজনক কাউন্সিল সভা হেন এখন মানী সভাৰ আগত অপ্ৰস্তুত কৰিবলৈকো বাকী নথলে! আবকাৰী ৰাজহ 'tainted money', অৰ্থাৎ দূষিত অৰ্থ বুলি চলিহা ডাঙৰীয়াৰ বক্তৃতা বা উক্তিত ওলোৱাত যে দায় লাগিছিল, ওপৰত উদ্ধৃত মতে চীফ কমিচনাৰ বাহাদুৰে আবকাৰী ৰাজহ একেবাৰে এৰি পেলাবলৈ যি কাৰণত প্ৰস্তুত, সেই কাৰণেই সেই ৰাজহ 'tainted money' বুলি আওপাকে বুজোৱা নাই জানো? তাতোকৈ দুখৰ বিষয় যে, এই বেজাৰৰ কাহিনী ভাৰত গৱৰ্ণমেণ্টৰ গৰাকী গৱৰ্ণৰ জেনেৰেল বাহাদুৰক জনায়ো ৰায় বাহাদুৰ ডাঙৰীয়াই সু-সমিধান লাভ কৰিব নোৱাৰিলে। মই স্বীকাৰ কৰোঁ যে, অপ্ৰিয় হলেও সঁচা কথাত হয় দিয়াটো মোৰ স্বভাৱ। গতিকে, যুক্তিৰ অভাৱ পৰা আৰু আগে-গুৰিয়ে ভভতা-উভতিকৈ জোৱা লগা চীফ কমিচনাৰ বাহাদুৰৰ এই কথা আৰু সেই কথা অসংলগ্ন আৰু অশোভনীয় বুলিবলৈ বাধ্য হৈ দুখিত হলোঁ। মোৰ মনেৰে যুক্তিৰ বাজ হোৱা কথা ঐশ্বৰিক বাণী বুলিলেও পতিয়াব নোৱাৰি। সি যি হওক, সেই অপ্ৰিয় কাহিনী সিমানতে মাৰ যোৱা নাই, সি বিলাতত খাই গৱৰ্ণমেণ্টৰ লাগতিয়াল ৰাজপুৰুষসকলৰ মনোযোগ আকৰ্ষণ কৰিছে বুলি 'বিলাত-ফেৰত' আসাম-প্ৰতিনিধিৰপৰা জানিব পাৰি সন্তোষ পাইছোঁহঁক। মাননীয় ৰায় বাহাদুৰ ফণিধৰ চলিহা

তাদৰীয়াই গৱৰ্ণমেণ্টৰপৰা সু-সমিধান নাপাই আৰু তেখেতৰ জাতীয় মৰ্যাদা ৰক্ষাৰ হেতুকে আসাম-কাউন্সিলৰ সদস্যৰ আসন স্বইচ্ছাৰে পৰিত্যাগ কৰিলে। তাৰ ফলত তেখেতৰ খিতাপ 'অনৰেবল'ৰ ঠাইত এতিয়া 'লোকমান্য' হৈছে।

ওপৰত নাম লোৱা চৰ্কাৰী ৰিপোৰ্টত কোৱা হৈছে যে, আবকাৰী বিভাগৰ মুখ্য উদ্দেশ্য হৈছে (১) ৰাগিয়াল বস্তু গুপ্তভাৱে বেচা-কিনা কৰা (smuggling) গৰ্হিত ৰীতি ৰহিত কৰা, (২) কানি, ভাং, ফটিকা অতিপাতকৈ খাই মতলীয়া হৈ হোৱা সামাজিক দোষ গুচোৱা, (৩) কাম-বন কৰি হোৱা ভাগৰুৱা মানুহক জিৰণিৰ উপায় দিয়া। প্ৰথম আৰু দ্বিতীয় উদ্দেশ্য দুটা যুক্তিৰ বাজ নহয়; তাত আমাৰ সহানুভূতিও আছে। কিন্তু তৃতীয়টো উদ্দেশ্য যুক্তিসিদ্ধ বুলি সমৰ্থন কৰিব নোৱাৰি। কাৰণ, ৰাগিয়াল বস্তু মাত্ৰেই ক্ষণিক উত্তেজক, কিন্তু তাৰ ৰাগী এৰা মাত্ৰকে সি মানুহক আগতকৈও দুৰ্ব্বল কৰে আৰু তাৰ ফলত মানুহ অকামিলাহে হয়। বিশেষকৈ, তৃতীয় উদ্দেশ্যে কানি খাবলৈ দিয়াটো কোনোমতে যুক্তিৰ ভিতৰ কৰিব নোৱাৰি, তাৰ অৱশ্যম্ভাবী ফল মানুহক এলেহুৱা কৰা, যি দোষত বসুগৰ্ভা অসমৰ সন্তান অসমীয়া প্ৰজা আজি দুকলা আৰু ভিকহু হৈ দিনক দিনে তললৈ যাবলৈ ধৰিছে।

কাটল বৃদ্ধিৰ কাৰণ ফঁহিয়াই চালে দেখা যায় যে, ৰাগিয়াল বস্তুৰ ওপৰত যিমানেই কৰ-কাটল বাঢ়িছে, সিমানেই তাৰ কাটল চৰিছে হে। চৰ্কাৰী ৰিপোৰ্টেই তাৰ বিশিষ্ট সাক্ষী। চাউলৰ দৰ-ভাও চৰিছে বুলিও যেনেকৈ কেৱে ভাত নোখোৱাকৈ থকা নাই, তেনেকৈ কানিৰ ওপৰত কৰ-কাটল বাঢ়ি তাৰ দৰ চৰিছে বুলিও অসমৰ কানীয়াই কানি নোখোৱাকৈ থকা নাই। বৰঞ্চ, তাৰ ফলত কেতিয়াবা এসাজ ভাতকে এৰিছে, তথাপি কানি এৰা নাই। ই প্ৰত্যক্ষ প্ৰমাণিত কথা। কানি, ভাং আৰু ফটিকাৰ কৰ বঢ়োৱাত এহাতে অসমীয়া ৰায়তৰ সাংসাৰিক অৱস্থা ক্ৰমাৎ শোক-লগা হৈ পৰি যাবলৈ ধৰিছে, আন হাতে আবকাৰী মহলদাৰবিলাকে কানিত তেল দিয়া, দেশী মোহনী ভাং গুপুতে আমদানি কৰা, ফটিকাত পানী মিহলোৱা আৰু লুকাই-চুৰকৈ বেচা-কিনা কৰা পাপকাৰ্য্যৰ তলে তলে মাত্ৰা চৰাইছে। এক্চাইজ কমিচনাৰ বা আবকাৰী বিভাগৰ খাই মিয়াই নিজে কৈছে যে, কাটল কমাবলৈ অহোপুৰুষাৰ্থ কৰাৰ ফলতো অবিয়া-অৰি বাঢ়িছেহে; ইয়াৰপৰা বুজিব পাৰি যে, তলে তলে অসদুপায় অৱলম্বন কৰা হৈছে। এতেকে, কৰ-কাটল বঢ়াই কানি, ভাং, ফটিকাৰ কাটল কমাবলৈ ধৰা কু-ৰীতি গৱৰ্ণমেণ্টে ততালিকে এৰি পেলোৱা যুগুত।

ফটিকাৰ কাটল কমাবলৈ গৱৰ্ণমেণ্টে যি নতুন উপায় উদ্ভাৱন কৰিছে, তাৰপৰা যৎসামান্য উপকাৰ পোৱা যাব পাৰে, কিন্তু আওপাকে তাৰ পৰা অপকাৰো আছে। নতুন নিয়মে ফটিকাৰ দোকান সততে দিনৰ ১২ বজাৰপৰা ৬ বজালৈকে আৰু দেওবাৰ বা চৰ্কাৰী কাৰ্য্যালয় আদি বন্ধ থকা দিনত ৪ বজাৰপৰা ৬ বজালৈকে মাথোন খোলা ৰাখিবলৈ গৱৰ্ণমেণ্টে প্ৰস্তাৱ কৰিছে। ইয়াৰ ফলত অবিধিকৈ গাৱেঁ-ভূঞেঁ ফটিকা বেচা কু-ৰীতি বাঢ়িবৰ আশঙ্কা, আৰু সেই সুযোগতে মহলদাৰবিলাকে বন্ধা সময়ৰ বাহিৰে বেচি দামত চুৰকৈ ফটিকা বেচি অন্যায়কৈ লাভ কৰাৰ ভয়।

গাঞ্জা বা ভাঙৰ কাটল কমাবৰ অভিপ্ৰায়ে অহা এপ্ৰিলৰপৰা ভাং-কৰ সেৰে ১৬৲ টকাৰপৰা ২০৲ টকালৈকে বঢ়াবলৈ গৱৰ্ণমেণ্টে স্থিৰ কৰিছে। তেতিয়াৰপৰা ভাঙৰ ভাও তোলাত ছ-অনাৰপৰা আঠ অনালৈ চৰিব, আৰু তাৰ ফলত গাঞ্জা বা চৰ্কাৰী ভাং এৰি জংঘলী ভাং খাই মানুহ বলিয়া হোৱাৰ বাট আওহাতে মুকলি হব বুলি আশঙ্কা হয়।

কানিৰ কাটল কমাবলৈকো, আৱশ্যক হলে, গৱৰ্ণমেণ্টে কানি-কৰ বঢ়াব খুজিছে। এতিয়ালৈকে কৰ বঢ়োৱাৰ ফলত কানিৰ কাটল বাঢ়িছে নে আবকাৰী ৰাজহ বাঢ়িছে, তালৈ ঊলটি নাচাই কেৱল কৰ বঢ়োৱাত হে গৱৰ্ণমেণ্টে একাগ্ৰচিত্তীয়াকৈ লাগিছে। অৱশ্যে, এইখিনিতে গৱৰ্ণমেণ্টৰ এটি সজ অনুষ্ঠানলৈকো মোৰ চকু গৈছে; পৰ্ব্বতীয়া জিলা-বোৰত একো একোটা খেলধৰি কানীয়াৰ ৰেজেষ্টৰী খোলাৰ নিয়ম চলাইছে। শদিয়াত আৰু উত্তৰ-পূব ক্ৰন্টিয়াৰ অঞ্চলত

প্ৰত্যেক কানীয়াৰ নাম ৰেজেষ্টীভুক্ত কৰা হৈছে আৰু তাৰ ফলাফল আশাজনক দেখা গৈছে। এতেকে, মোৰ মনেৰে, অসমৰ সৰ্ব্বত্ৰে এই উত্তম নিয়ম প্ৰচলিত হোৱা উচিত। ৰাজনৈতিক বিবেচনাত—পৰ্ব্বতীয়া আৰু দাতিয়লীয়া জাতিৰ মাজত এই নিয়ম পাচত হে চলিব লাগিছিল, আগধৰি ভৈয়ামত হে তাৰ কাৰ্য্য আৰম্ভ হোৱা উচিত আছিল। যি হওক, পাহাৰী আৰ্ব্বী জাতিৰ মাজতেই যদি এই নিয়ম প্ৰচলনত গৱৰ্ণমেণ্ট কৃতকাৰ্য্য হোৱাৰ সম্ভাৱনা দেখা গৈছে, তেন্তে ভৈয়ামত ভয়েই নাই বুলি মই টানি কওঁ। ভৈয়ামৰ ভালমানুহৰ কিছুমান কানীয়াক এই উপায়েৰে উদিয়াই দেখুৱাব পাৰিলে তাৰপৰা বহুল উপকাৰ আশা কৰিব পাৰি। আৰু, এই চলতে বন্দুক-ধাৰীক "পাচ" দিয়াৰ দৰে কানীয়াক একোডোখৰ "পাচ" দিয়াৰ নিয়ম উলিয়াব পাৰিলে সি আৰু গুণ দিব বুলি মোৰ বিশ্বাস। কাৰণ, সেই "পাচ"ত লিখি দিয়াৰ ওপৰঞ্চি কানি কিনিবলৈ কানীয়াৰ আওপকীয়া বাট আৰু নাথাকিব, কিয়নো মহলদাৰে তাৰ হিচাব দেখুৱাব লাগিব। তদুপৰি, এই ব্যৱস্থাত নতুনকৈ কানীয়া হবলৈ মানুহে লাজ কৰিব আৰু অন্যৰ নামত লগাই কানি কিনাৰ বাটো নাথাকিব।

চৰ্কাৰী ৰিপোৰ্টৰপৰা জনা যায় যে, আবকাৰী মহল নিলাম-বিক্ৰী আৰু বাচনি-বিক্ৰী এই দুটা প্ৰস্তাৱৰ ভিতৰত চীফ কমিচনাৰ বাহাদুৰে নিলাম-বিক্ৰীটোহে সমৰ্থন কৰিছে। কাৰণ, তেখেতৰ মতে বাচনি-বিক্ৰী প্ৰথা চলিলে আমোলা আৰু তলৰ থাপৰ ৰাজকৰ্ম্মচাৰীৰ মাজত ভেটী খোৱা পাপটো বাঢ়িব। পাপ নিবাৰণৰ উপায়টো আগধৰি ভাবি লোৱাত আমি এহাতে চীফ কমিচনাৰ বাহাদুৰৰ শলাগ লওঁ; আন হাতে তেখেতক বিনীত ভাৱে সোধোঁ যে, ভেটী খোৱা পাপ তলতীয়া ৰাজকৰ্ম্মচাৰীৰ মাজত সোমোৱাটো তেখেতে আশঙ্কা কৰে যদি, এতিয়া নিলাম-বিক্ৰী প্ৰথা চলি থাকোঁতে সেই পাপে প্ৰশ্ৰয় পোৱা নাই বুলি নিশ্চয়কৈ কব পাৰি জানো? মোৰ মনেৰে হলে, চীফ কমিচনাৰ বাহাদুৰৰ এই বিষয়ক ধাৰণা নিখুঁত নহয়; নিলাম-বিক্ৰীৰ দ্বাৰা কিছুমান বিদেশী বা আন-প্ৰদেশী মহলদাৰক চহকী কৰাৰ বাট হে ৰখা হৈছে। কিন্তু, বাচনি-বিক্ৰী প্ৰথা চলিলে অসমৰ দেশী মানুহ এই কাৰবাৰত সোমাই গৱৰ্ণমেণ্ট আৰু ৰায়তৰ কল্যাণ সাধন কৰাটো হে আশা কৰা যায়; তদুপৰি, তাৰ দ্বাৰা দেশী মানুহ চহকী হোৱাৰ বাট মুকলি হব। এতেকে, মোৰ মনেৰে, নিলাম-বিক্ৰী প্ৰথা উঠাই দি তাৰ ঠাইত বাচনি-বিক্ৰী প্ৰথা সোনকালে বহুৱাব লাগে।

কিন্তু,- বাইজ! নিজৰ ভৰিত ভিৰ দি থিয় হব নোৱাৰিলে সকলো মিছা, বিশেষকৈ আজিকালিৰ দিনত। 'মা-বাপ' গৱৰ্ণমেণ্টৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰি মন পতিওৱাৰপৰা আমাৰ কোন্ ফালে কিমান উন্নতি হৈছে, এবাৰ উলটি চিন্তাৰ চকুৰে চালেই ভালকৈ মণিব পৰা যায়। বিশেষতঃ, গৱৰ্ণমেণ্টেও নানা প্ৰসঙ্গত আমাক বুজিবলৈ দিছে যে, আত্মবলেহে প্ৰকৃত জাতীয় উন্নতি সাধিব, গৱৰ্ণমেণ্টে সদায় সকলো বিষয়তে উৎসাহ দিয়াৰপৰা স্থায়ী গুণ ধৰাৰ সম্ভাৱনা নাই। তাৰ কাৰ্য্যতঃ প্ৰমাণ পাবলৈকো বাকী নাই। কানি-নিবাৰণী চেষ্টাতে তাৰ ফলাফল হাতে-হাতে পোৱা গৈছে; যোৱা কুৰি বছৰে গৱৰ্ণমেণ্টৰ যত্নৰ ওপৰত নিৰ্ভৰ কৰাৰপৰা যি ফলোদয় হৈছে, তাক আপোনা-সকলে স্বচকুৰে দেখিছেই, আৰু ওপৰত ময়ো তাৰ আভাস দি আহিছোঁ। এতেকে, আমাৰ জাতীয় উন্নতিৰ সকলো বিষয়তে, বিশেষকৈ কানি-নিবাৰণ বিষয়ত আমি দেহে-চিতে আত্মচেষ্টাত ধৰিবৰ সময় আহিল। আহক, আমি দৃঢ় চিত্তেৰে বছা-বছা কাজুৱা দেশহিতৈষীৰে সৈতে এটা কানি-নিবাৰণী দল (Anti-opium League) বান্ধোঁহঁক। "মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন" এই মহামন্ত্ৰেৰে সেই হিতৈষী দল দীক্ষিত হওক, আৰু একে উৎসাহে কাৰ্য্যক্ষেত্ৰত প্ৰৱেশ কৰোক। চীনা-জাতিৰ জলন্ত পটন্তৰ সিবিলাকে নিজৰ উদ্দেশ্যৰ পতাকাত আঁকি লওক। আৰু, "ক্ৰমাগত কাম কৰা, ফলাফল বিভুৰ হাতত" এই দ্বিতীয় কাকি মহামন্ত্ৰেৰে উৎসাহিত হৈ কাৰ্য্যক্ষেত্ৰত ক্ৰমাৎ আগ বাঢ়ক; এটা নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সেই মহৎ উদ্দেশ্য সিদ্ধি কৰিবলৈ সিবিলাক প্ৰতিশ্ৰুত হওক। বাইজ! দেখিব, কালীসৰ্পক দমি শ্ৰীকৃষ্ণই পাতাল ছিৰি পুনঃ নিজৰ মোহন মূৰ্ত্তি দেখুৱাৰ দৰে এই হিতৈষী দলে কানি-সৰ্পক দমন কৰি

সিবিলাকৰ দাবী মুখ আৰাক নেশুনাবহি। হতাশ হবৰ কাৰণ নাই; সিবিলাকৰ জয় অনিবাৰ্য্য। কিন্তু, এই সকলত সহায়কাৰী হৈ ধৰ্মগুৰু, সমাজৰ নেতা আৰু গৱৰ্ণমেণ্টৰ বিষয়াসকলেও কানি-নিবাৰণী হিতৈষীদলৰ পিচ ধৰিব লাগে। সত্ৰীয়া গোসাঁই আৰু মহন্তসকলে কানীয়া মানুহক শৰণ নিদিবলৈ, সমাজৰ নেতাসকলে কানীয়াক সমাজৰ বাজ কৰিবলৈ, গৱৰ্ণমেণ্টে কানীয়া মানুহক মণ্ডল, গাওঁবুঢ়া, পঞ্চায়তৰ মেম্বৰ, এইবোৰ বিষয়বপৰা বৰ্খাস্ত কৰিবলৈ নিয়ম লগাই উক্ত হিতৈষীদলক কাৰ্য্যতঃ সহায় কৰিব লাগে। আৰু, এই মহৎ উদ্দেশ্যত দেশৰ সকলো সভা-সমিতি আৰু পঞ্চায়তে, বিশেষকৈ আসাম এচোচিয়েচনে কিছুমান নিৰ্দ্ধাৰিত কৰ্ত্তব্য আগত লৈ সকলো প্ৰকাৰৰ সহায় আৰু সহানুভূতিৰে সৈতে নিজৰ কৰ্ম্মচাৰী কাৰ্য্যক্ষেত্ৰলৈ পাচিব লাগে। ওপৰত দিহা দিয়া মতে যদি আটাইয়ে একাগ্ৰ চিত্তেৰে কাৰ্য্যক্ষেত্ৰত প্ৰবেশ কৰে, তেন্তে মই আপোনা সকলৰ আগত আজি গা হৈ কব পাৰোঁ যে, অহা দহ বছৰৰ ভিতৰত অসমে নিকানীয়া নাম লৈ চীনৰ শাৰীত আসন লৈ জিলিকিব পাৰিব।

অস্ত্ৰ-আইন

অস্ত্ৰ-আইন সম্পৰ্কেও বাইজৰ আপত্তি আদিৰেপৰা চলি আহিছে। আবকাৰী বস্তুৰ কাটন কমাবলৈ বিবিধ প্ৰসঙ্গত গৱৰ্ণমেণ্টক খাটনি ধৰি যি ফল পোৱা গৈছে, অস্ত্ৰ-আইনৰ বান্ধ-ছাট ঢিলাই দিবলৈকো বাইজে সেই একেদৰেই খাটনি ধৰি আহিছে, আৰু সেই একে ফলকে ধৰা দেখা গৈছে। ভাৰতবৰ্ষৰ আন ঠাইতকৈ অসমত বন্দুকৰ আৱশ্যকতা অতি বেচি। অসমত বনৰীয়া জন্তুৰ আশ্ৰয়স্থান হাবি বন বেচি, ইয়াৰ তিনিসীমাত পাহাৰী আৰু আবৰী জাতিৰ বসতি। গতিকে, আত্মৰক্ষা আৰু জীবিকা ৰক্ষাৰ নিমিত্তে অসমীয়া মানুহে বন্দুক সৰহকৈ আৰু অলপ আয়াসতে পোৱা উচিত। কিন্তু, এনে যুক্তিলৈ চৰকাৰ বাহাদুৰে কাণ দিয়াৰ ভাৱ-গতি দেখা নাযায়; আবকাৰী সম্পৰ্কীয় খাটনিৰ ফলত যেনেকৈ ক্ৰমাৎ বাগিয়াল বস্তুৰ কাটন বাঢ়ি চৰকাৰৰ ৰাজহ বাঢ়িছে, অস্ত্ৰ-আইন বিষয়ক খাটনিৰ ফলতো তদ্ৰূপ বায়তে নতুনকৈ বন্দুক সহজে লাভ কৰা সুবিধা নঘটি আগৰ বন্দুকধাৰীৰ সংখ্যা ক্ৰমাৎ টুটিছে হে, আৰু এই বিষয়ক অভাব-আপত্তি আৰু কিমান দিনলৈ যে আমাৰ লগৰীয়া হৈ চলিব কব নোৱাৰি। আমাৰ দেশত বন্দুক বঢ়াই নিদিয়াৰ এটা কাৰণ গৱৰ্ণমেণ্টে দেখুৱায় যে, বেচি হলে হাই-উৰুমিবোৰত ৰায়তে বন্দুক ব্যৱহাৰ কৰি অশান্তি ঘটোৱাৰ আশঙ্কা। কিন্তু মই বিনীত ভাৱে সোধোঁ, সেই আশঙ্কা ইংলণ্ডত নাই জানো? আৰু, নোহোৱাৰ কিবা বিশেষ কাৰণ আছে জানো? অলপতে গৱৰ্ণমেণ্টে অস্ত্ৰ-আইনৰ অলপ সংস্কাৰ ঘটাই ইউৰোপীয়ান আৰু ইণ্ডিয়ানৰ মাজত আগৰ পাৰ্থক্য পাতলাইছে। সেই বাবে অৱশ্যে একেবি সন্তোষ পাব লগীয়া, আৰু গৱৰ্ণমেণ্টৰ শলাগ লব লগীয়া। কিন্তু, সংস্কাৰত ইউৰোপীয়ান আৰু ইণ্ডিয়ানৰ মাজত বন্দুকধাৰীৰ লেখ-জোখৰ কিবা লৰচৰ ঘটিল জানো? —নঘটিল, আগৰ দৰেই প্ৰত্যেক ইউৰোপীয়ান আৰু সহস্ৰৰ মাজত এজন ইণ্ডিয়ান বন্দুকধাৰী হৈয়ে বল। আন হাতে, লাভৰ ভিতৰত এই হবলৈ ধৰিছিল যে, কাউন্সিলৰ মেম্বৰ, গৱৰ্ণমেণ্টৰ খিতাপধাৰী আৰু গেজেটেড অফিচাৰে বিনা "পাচে"ৰে বন্দুক ৰখাৰ যি সুবিধা কেৱা আছিল সিও পাক-লাগি হেৰাব লগা হৈছিল। তাৰ দ্বাৰা এহাতে "পাচ"ৰ মাচুল ৰূপে যৎসামান্য ৰাজহ বাঢ়িলহেঁতেন, কিন্তু আন হাতে এবিধ মাতবৰ মানুহৰ অন্তৰত নতুনকৈ অসন্তোষ দিয়া হলহেঁতেন। তদুপৰি, এই সংস্কাৰৰ মূল উদ্দেশ্যও ৰক্ষা নপৰিলহেঁতেন। কাৰণ, ইংৰাজী "নাইট" খিতাপ-ধাৰী কিছুমান মাতবৰ মানুহৰ যত আগৰ দৰেই বল, সিবিলাকে আগৰ দৰেই বিনা-"পাচে" বন্দুক ৰাখিব আৰু চলাব পাৰিব। সি যি হওক, সন্তোষৰ কথা যে, গৱৰ্ণমেণ্টে দকৈ গমি চাই নিজৰ সেই ভুল পাচত ধৰিব পাৰিলে, আৰু তাৰ ফলত ওপৰত কোৱাসকলক আকৌ আগৰ দৰেই "পাচ" লোৱা দায়িত্ব বেহাই দিয়া হৈছে। সেই বাবে আমি গৱৰ্ণমেণ্টক আকৌ এজোলোকা ধন্যবাদ দিওঁহক।

ৰাওলাট আইন

'ৰাওলাট আইন' সম্বন্ধে মোৰ আজিৰ কৰ্ত্তব্য কেৱল বক্তব্যাই হে। ভাৰতবৰ্ষৰ সৰ্ব্বত্রে, বিশেষকৈ পঞ্জাব, বোম্বাই, মাদ্ৰাজ, কলিকতাত এই আইনৰ বিৰুদ্ধে ঘোৰ আন্দোলন চলা সত্বেও সি আইন হৈয়ে গৈছে। মহাত্মা গান্ধীয়ে এই আইন ৰহিত কৰাবলৈ পৰে পৰে সত্যাগ্ৰহৰ বাও দিও একো গুণ ধৰাব পৰা নাই। আৰু এতিয়া সি গোজেই গছ হবলৈ ধৰিছে। যি হওক, মোৰ বক্তব্য ইমানেই হে যে, গোটেই ভাৰতবৰ্ষত ৰাওলাট আইন প্ৰচলিত হলেও আসামত, বিশেষকৈ অসম উপত্যকাত তাৰ মুঠেই প্ৰয়োজন নাই; কাৰণ ৰাওলাট-আইন-ঔষধ লগাব লগীয়া ৰোগ এতিয়ালৈকে অসমত সোমোৱাহি নাই, আৰু আগলৈকো নোসোমাব বুলি আশা কৰোঁহক। এতেকে, আগধৰি ঔষধৰ জাননী মেলি তাৰ নিমিত্তে ৰোগ মাতিবলৈ অসমীয়া প্ৰজাৰ আগত আপদ সূচাই দিয়াটো গৱৰ্ণমেণ্টৰ পক্ষে ৰাজনৈতিক সু-বিবেচনাৰ কাম হোৱা নাই। এয়ে এই সম্বন্ধে মোৰ বক্তব্য, আৰু ৰাওলাট আইন ৰহিত কৰিবলৈ আজিৰ এই বিৰাট সভাৰ জৰিয়তে পুনৰপি গৱৰ্ণমেণ্টক অনুৰোধ কৰাই মোৰ কৰ্ত্তব্য।

পঞ্জাব-উৎপাত

এই ছেগতে পঞ্জাব উৎপাতৰ বিষয়ে একেষাৰ কোৱা যায়। এই উৎপাত যে ৰাওলাট আইন সংগঠনৰ অৱশ্যম্ভাবী ফল তাক কোৱা বাহুল্য মাথোন। ৰাওলাট বিল আইনত পৰিণত হোৱাৰ সময়ত ভাৰতময় যি হুলস্থুল লাগি উঠিছিল, আৰু বিশেষকৈ পঞ্জাবত তাৰ আনুষঙ্গিক যি ভয়ৰ উৎপতীয়া কাণ্ড হৈছিল, সেই বিষয় আপোনাসকলে ভালকৈ জানে। আৰু, 'হণ্টাৰ' কমিচনৰ অনুসন্ধানত সেই বিষয়ে লোমহৰ্ষক ব্যাপাৰৰ কথা দিনক দিনে ওলাবই লাগিছে। সেই উৎপাত থমাবলৈকে ভাৰতবৰ্ষত আগেয়ে কোনোকালে কেতিয়াও নেদেখা-নুশুনা ব্যৱস্থা সৈনিক আইন বা 'মাৰ্চাল-ল' নামে (Martial Law) এক আসুৰিক কাৰ্য্যবিধিৰ অৱতাৰণা হয়। সেই আইন মতে পঞ্জাবী প্ৰজাৰ প্ৰতি যি ভীষণ ব্যৱহাৰ চৰ্কাৰী বিষয়াৰ দ্বাৰা সংঘটিত হৈছিল, সি আজি সমগ্ৰ ভাৰতবাসীৰ অন্তৰত মৰ্ম্মান্তিক ব্যথা দিছে, আৰু সভ্যজগতক চমক্ লগাইছে। আন কি, ভাৰতৰ শাসনকৰ্ত্ৰী ইংলণ্ডতো এই অমানুষীয় গৰ্হিত কাৰ্য্যৰ বিৰুদ্ধে ঘোৰ প্ৰতিবাদ চলিছে। যোৱা ২৫ অক্টোবৰ তাৰিখে সন্ধ্যা ৮ বজাৰপৰা লণ্ডনত "ৰয়েল এলবাৰ্ট হল"ত ভাৰতবৰ্ষক স্বায়ত্তশাসনৰ অধিকাৰ দিয়াৰ আন্দোলন সমৰ্থন কৰি বৃটিচ প্ৰজাৰ (British Citizens) যি এখন বিৰাট সভা বহিছিল, তাত সেই সভাৰ সভাপতি লৰ্ড লাকৰবীয়ে পঞ্জাব-উৎপাতৰ বিষয়লৈ আঙুলিয়াই এই দৰে কৈছিল,—"the outrages committed in name of that great province would for ever remain an indeliabe stain—No greater outrage have been committed than the bombing of innocent people from the sky because they had attended a public meeting, the flogging of the people because they shut their shops or did not shut their shops on a particular day." এই ফাকি মই লণ্ডনৰ "ডেইলি হেৰাল্ড" (Daily Herald) নামে কাকতৰ যোৱা ২৭ অক্টোবৰৰ সংখ্যাৰপৰা টুকি দিলোঁ; ইয়াৰপৰাই আপোনাসকলে বুজিব, বিলাতত বৃটিচ্ প্ৰজাৰ অন্তৰত পঞ্জাব-উৎপাতৰ হৃদয়বিদাৰক কাহিনীয়ে কিমানকৈ ভেদিছে! হওতে, এই ঘৃণনীয় কু-কাৰ্য্যৰ বাবে বৃটিচ্ ৰাইজ আৰু খাই বৃটিচ্ গৱৰ্ণমেণ্টৰ ওপৰত বেজাৰ কৰিবলৈ ঠাই নাই; ই কেৱল জনদিয়েক সম্যক্ ৰাজনীতিজ্ঞানহীন বৃটন কৰ্ম্মচাৰীৰ মহিমতীয়া কাৰ্য্যৰ কু-ফল। কিন্তু, "ন'ৰাই পানী পেলায়, বৰ পিছলি পৰে" এই সচৰাচৰ প্ৰচলিত মানৱ ৰীতি অনুসৰি ইয়াৰ প্ৰত্যবায়ে আমাৰ খাই গৱৰ্ণমেণ্ট আৰু সমনীয়া বৃটিচ্ প্ৰজাকো যে নোপোৱাকৈ থাকিব এনে নহয়। এতেকে, সিবিলাকৰ সবল সমৰ্থনৰ বলত পাপৰ সমুচিত পৰাচিত যেন আদায় হয়, আমাৰ এই বাঞ্ছা। সম্প্ৰতি পঞ্জাব-উৎপাতৰ বিষয়ে গৱৰ্ণমেণ্টৰ দ্বাৰা নিয়োজিত "হাণ্টাৰ্চ কমিচন"ৰ অনুসন্ধান চলিব লাগিছে; গতিকে এই বিষয়ে এতিয়া আমি আৰু একো নকওঁ এখোন।

লগৰীয়া বাইজ! আপোনাসকলক মোৰ লাগ-বান্ধ নোহোৱা কথাৰে ভালেমান পৰ ৰাখি মই আপোনাসকলৰ ওচৰত মই নিশ্চয় বিৰক্তিৰ কাৰণ হৈছোঁ। সেই বাবে যেন নিজ গুণে মোৰ মাৰ্জনা কৰে। আপোনাসকলে চাগে শুনি আমনি পাইছে, কিন্তু কৈ মোৰ আমনি লগা নাই। ইমানলৈকে মোৰ কোৱা বৰ দীঘল হৈছে বুলি মই গম্ নোপোৱাকৈয়ো থকা নাই; কিন্তু দুখৰ বিষয়, যি কলোঁ সি মোৰ কবলগীয়া কথাৰ দহভাগৰ এভাগো নহল যেন লাগিছে। যি হওক, আৰু সৰহপৰ আপোনাসকলক ৰাখি থবলৈ মোৰ সাহ হোৱা নাই। গতিকে, আমাৰ জাতীয় উন্নতি আৰু সুখ-সম্পদ বিধায়ক এটি আশাৰ বিৰিঙ্গি উঠা পোহৰ এচাটিৰে সৈতে মোৰ শ্ৰুতিকটু বক্তৃতা "মধুৰেণ সমাপয়েত" কৰিবলৈ খৰখৰ কৰোঁ।

ভাৰতীয় শাসন-সংস্কাৰ

বাইজ! এটা কথালৈ মন কৰিব, আপদৰ আঁচলত ধৰি কেতিয়াবা সম্পদো অযাচিতে চাপেহি। ইয়াৰ বিশিষ্ট প্ৰমাণ "ভাৰত-গবৰ্ণমেণ্ট-সংস্কাৰ বিল" (India Government Reform Bill)। ইউৰোপৰ মহাৰণে তাৰ অংশীদাৰ ভাৰতৰ ভাগত যি আপদ চপাইছিল, সেই আপদৰ আঁচলত ধৰি ভাৰত-সন্তানৰ ওঁডাললৈ এই ভাৰত-শাসন-সংস্কাৰ অযাচিতে চাপিছেহি। যি শাসন সংস্কাৰৰ অৰ্থে ভাৰতবাসীয়ে এটা শতাব্দীৰ ওপৰ কাল অহোপুৰুষাৰ্থ কৰি আহিছে, যি উন্নত গৱৰ্ণমেণ্ট আৰু স্বায়ত্তশাসন লাভ কৰিবলৈ ভাৰতীয় প্ৰজাই যোৱা অৰ্দ্ধশতাব্দী কাল, বিশেষকৈ ভাৰতীয় কংগ্ৰেচৰ জন্মাবধি আন্দোলন কৰি আহিছে, সেই শাসন-সংস্কাৰ, সেই উন্নত গৱৰ্ণমেণ্ট, সেই স্বায়ত্ত-শাসনৰ লাভে গা দেখা দি জিলিকি উঠিছে; অচিৰে আমি সেই লাভ হাতত লৈ চাবলৈ পামহঁক।

"বিফৰ্ম স্কীম" বা ভাৰতবৰ্ষৰ শাসনবিধি সংস্কাৰৰ প্ৰস্তাৱনা, আয়োজন আৰু কাৰ্য্যকলাপৰ সম্পূৰ্ণ বিৱৰণ দিবলৈ হলে সি এটা সুদীৰ্ঘ বক্তৃতা হয়। কিন্তু, এই সাম্প্ৰতি-মেটাৰ সময়ত আপোনাসকলৰপৰা মই যি সময় পাবলৈ আশা কৰিছোঁ, সেই সময়ৰ ভিতৰত সিমানলৈ এই বক্তৃতা বঢ়াব নোৱাৰি। তথাপি, বিফৰ্ম স্কীমৰ বুৰঞ্জী বিষয়ে আপোনাসকলৰ অনেকৰ জানিবলৈ কৌতূহল হব পাৰে; গতিকে তাৰ আবিৰ্ভাৱৰ অন্তলৈকে সম্পূৰ্ণ নহলেও আভাস মাত্ৰ দি এটি চমু বৰ্ণনা মাথোন আপোনাসকলৰ আগত নিবেদিছোঁ।

ভাৰতীয় শাসন-সংস্কাৰ আইনৰ আঁতিগুৰি আৰু কাৰ্য্যকলাপ

১৯১৪ চনৰ ৪ আগষ্ট তাৰিখে ইউৰোপৰ বিগত মহা-ৰণত জাৰ্মানীৰ বিৰুদ্ধে আমাৰ ৰজাই যুদ্ধ ঘোষণা কৰে। তাৰেপৰা মাহচেৰেকলৈ তেতিয়াৰ মিত্ৰপক্ষৰ লগত অকল বৃটিচ সৈন্যৰ যোগ দিয়েই ৰণ চলোৱা হৈছিল। কিন্তু যেতিয়া দেখা গল যে, জৰ্মানী, অষ্ট্ৰিয়া, আৰু তুৰস্কৰ যুটীয়া সৈন্যবলেৰে সৈতে অকল বৃটিচ সৈন্যৰ যোগানেৰে ফেৰ পতা অসম্ভৱ, তেতিয়া অষ্ট্ৰেলিয়া, কানাডা, দক্ষিণ আফ্ৰিকা প্ৰভৃতি বৃটিচ উপনিবেশবোৰপৰাও সৈন্য সংগ্ৰহ কৰিব লগাত পৰিল। সেই ছেগতে আমাৰ ভাৰতবৰ্ষও লেখত পৰে। পোনতে ভাৰত-সন্তানক নি ইউৰোপীয়ানৰে সৈতে সমানে ৰণত লগোৱাত বৃটিচ আৰু মিত্ৰপক্ষৰ সৈনিক ক্ষমতাই নগঙঁ নথঙঁ লগাইছিল, কিন্তু যেতিয়া টানৰ সময়ত ৰাজাজ্ঞা মতে ভাৰতৰ সৈন্য গৈ ৰণত যোগ দিলে, তেতিয়া ভাৰতীয় সৈন্যৰ সাহ-পিট, বল-বীৰ্য্য, ধৈৰ্য্য সহিষ্ণুতা আৰু অটল ৰাজভক্তিৰ চিনাকি পাই তেম্‌ধাৰী ইউৰোপীয় সৈনিক ক্ষমতাই বিস্ময় মানিলে, তেতিয়াৰপৰা ইউৰোপৰ ৰণক্ষেত্ৰলৈ ভাৰতীয় সৈন্যৰ ৰপ্তানি ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে। ভাৰতীয় সৈন্যবল যিমান বাঢ়িবলৈ ধৰিলে, সিবিলাকৰপৰা লাভ হোৱা উপকাৰত ইউৰোপীয় বৃটিচ মিত্ৰপক্ষ সিমান মোহিত হৈ আছিল। তাৰ পাচত, ভাৰতৰ জনবলৰ লগে লগে ধনবলৰো আশাতীত যোগানৰ ৰপ্তানি হবলৈ ধৰিলে। এই কাৰ্য্যত ৰজা-জমিদাৰবোৰপৰা দুখী-দৰিদ্ৰলৈকে ভাৰত-বাসীয়ে এনে উদাৰ চিত্তেৰে ৰণৰ উদ্দেশে যথাশক্তি সাহায্যৰ যোগান দিবলৈ ধৰিলে, আৰু নানা প্ৰসঙ্গত ভাৰত-সন্তানৰ অটল ৰাজভক্তি আৰু ইংলণ্ডৰ লগত সৰ্ব্ব-প্ৰকাৰৰ একতাভাৱ এনেৰে বিকশিত হল যে তাক দেখি

বৃটিচৰাজ মোহিত হল, আৰু ভাৰতবাসীক উন্নত ধৰণৰ গৱৰ্ণমেণ্ট আৰু স্বায়ত্তশাসন দান কৰিবলৈ বৃটিচৰাজপুৰুষসকলৰ অন্তৰত স্বভাৱতে আগ্ৰহ বাঢ়ি উঠিল। এনে সময়তে ওখমনা ৰাজনীতিজ্ঞ পুৰুষ মিঃ মণ্টাগু সেই বিষয়ে বৃটিচ পাৰ্লিয়ামেণ্টত এটা বৰ তেজী আৰু যুক্তিপূৰ্ণ বক্তৃতা দিয়ে; আৰু ভাৰতৰ সৌভাগ্যক্ৰমে, অলপ দিনৰ পাচত তেওঁয়েই ভাৰতমন্ত্ৰীৰ (Secretary of State for-India) বিষয়-বাব পায়। সেই ছেগতে ভাৰতৰ ভাগ্য আৰু ফুলি উঠিল, আৰু তাৰ ফল স্বৰূপ ১৯১৭ চনৰ ২০ আগষ্ট তাৰিখে, পাৰ্লিয়ামেণ্ট ৰাজসভাৰ জৰিয়তে বৃটিচ খাই গৱৰ্ণমেণ্ট প্ৰতিশ্ৰুত হয় যে, ভাৰতবাসীক অচিৰে ক্ৰমোন্নতিমূলক শাসন-প্ৰণালীৰে সৈতে স্বায়ত্ত শাসন দান কৰা যাব। এয়ে বৰ্ত্তমান 'ৰিফৰ্ম স্কীম' বা ভাৰত-শাসনবিধি সংস্কাৰক আইনৰ আতিগুৰি।

পাৰ্লিয়ামেণ্টৰ সেই ২০ আগষ্টৰ অঙ্গীকাৰ যথাবিধি ঘোষণা কৰাৰ প্ৰায় তিনি মাহৰ পাচত, ভাৰত-শাসন সংক্ৰান্ত তত্ত্ব অনুসন্ধানৰ অৰ্থে ভাৰতমন্ত্ৰী মিঃ মণ্টাগ স্বয়ং ভাৰতবৰ্ষলৈ আহে, আৰু ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেল বাহাদুৰৰে সৈতে লগ লাগি তেখেতে ভাৰতবৰ্ষৰ লাগতিয়াল কেন্দ্ৰবিলাক ঘূৰিয়াকৈ সেই অনুসন্ধানৰ কাৰ্য্য চলায়। কলিকতা কেন্দ্ৰত বহি প্ৰজা প্ৰতিনিধিসকলৰ সাক্ষ্য গ্ৰহণ কৰোঁতে, এই বক্তাৰে সৈতে সাতজন আসাম এচোচিয়েচনৰ প্ৰতিনিধি ডেপুটেচনে ১৯১৭ চনৰ ৫ ডিচেম্বৰত সাক্ষ্য দিছিলগৈ। সেই প্ৰসঙ্গতে সিবিলাকৰ ভিতৰত বয়স আৰু অভিজ্ঞতাৰ জোখত অগ্ৰগণ্য আশী বছৰীয়া বৃদ্ধ প্ৰতিনিধি মিঃ গঙ্গাগোবিন্দ ফুকনে মিঃ মণ্টাগু আৰু লৰ্ড চেম্‌চফোৰ্ডকে সুন্দৰকৈ আভাস দিছিল যে, যি ক্ৰমোন্নতিমূলক উন্নত গৱৰ্ণমেণ্টেৰে ভাৰতবৰ্ষত স্বায়ত্তশাসন প্ৰণালী চলাবলৈ এতিয়া প্ৰস্তাৱ কৰা হৈছে, তেনে গৱৰ্ণমেণ্ট আৰু শাসনপ্ৰণালী অসমত আহোম ৰজাৰ ৰাজত্বত চাৰি ছুবি বছৰৰ আগলৈকে বৰ্ত্তমান আছিল; এতেকে প্ৰস্তাৱিত শাসনসংস্কাৰৰ নিমিত্তে আসাম ভাৰতবৰ্ষৰ আন আন প্ৰদেশ আটাইবিলাকতকৈ বেচি যোগ্য। তাৰ পাচত, আৰু আঠমাহ কাল উক্ত ঘূৰীয়া অনুসন্ধানৰ কাৰ্য্য চলাই তাৰ ফলস্বৰূপ ভাৰতশাসন সংস্কাৰ বিষয়ক চৰকাৰী নথী (Reports on Indian constitutional Reforms) বা 'মণ্টাগু-চেম্‌চফোৰ্ড স্কীম' ১৯১৮ চনৰ ১৯ জুনত ঘূৰীয়াকৈ প্ৰচাৰ কৰি, তাৰ দুদিনমানৰ পাচতে মিঃ মণ্টাগ ইংলণ্ডলৈ উলটিল।

তাৰ পাচত, ভাৰত গৱৰ্ণমেণ্টে সেই ৰিফৰ্ম স্কীম সম্বন্ধে প্ৰাদেশিক গৱৰ্ণমেণ্টবিলাকৰ মতামত আহ্বান কৰে। সেই প্ৰসঙ্গত আসামৰ চীফ কমিচনাৰ বাহাদুৰে যি মতামত পোধাইছিল, তাৰ আভাস মাথোন আপোনাসকলৰ আগত দাঙি ধৰোঁ। চীফ কমিচনাৰ বাহাদুৰে পোনেই আসামৰ ভৈয়াম আৰু পৰ্ব্বতীয়া এই দুই বিভাগৰ মাটিকালি, লোকসংখ্যা আৰু শাসনপ্ৰণালীৰ ব্যৱস্থাদি বিজাই দেখুৱাই হতাশ হয় যে, ভৈয়ামখণ্ডক ৰিফৰ্ম স্কীমৰ ভিতৰ কৰিলে পৰ্ব্বতীয়া খণ্ডৰ দশা কি হব। তদুপৰি, যদি আসামত শাসন-সংস্কাৰ চলোৱা যায়, তেন্তে আসামপ্ৰবাসী ইউৰোপীয়ান সম্প্ৰদায় বা 'বৃটন ব্ৰাডাৰ্চ'ৰ গতি কি হব। সেই ভাৱনা মনত লৈ তেখেতে ফ্ৰান্‌চাইজ বা প্ৰতিনিধি নিৰ্ব্বাচনৰ ব্যৱস্থাত সিবিলাকৰ নিমিত্তে স্থল বহলাবৰ অভিপ্ৰায়ে প্ৰস্তাৱ কৰে যে, ল'ৰা-তিৰোতা সমন্বিতে আঠে হাজাৰমান বৃটনৰ নিমিত্তে এটা স্বকীয়া ইলেক্‌টৰেট পাতি তাৰ পৰা কাউন্সিল সভালৈ কমকৈও দহ জন মেম্বৰ নিৰ্ব্বাচন কৰিবলৈ নিয়ম বন্ধা হব লাগে। তাত বাজে আন কোনো সম্প্ৰদায়লৈকে সেই স্বত্ব তেখেতে আগ বঢ়োৱা নাই। অৱশ্যে, তেখেতে বৃটিচৰ পূৰ্ব্ববৰ্ত্তী ৰজাৰ জাতীয় প্ৰায় দুই লাখ লোকসংখ্যাৰ আহোম সম্প্ৰদায়ৰ ন্যায় আৰু যুক্তিসঙ্গত স্বত্ব স্বীকাৰ কৰিছিল; কিন্তু তাক নিজে সমৰ্থন নকৰি আহোমৰ প্ৰতিনিধি এই বক্তাক কেৱল সেই কাৰ্য্যলৈ আগ বঢ়ালে। অথচ, আওপাকে ভোটাৰৰ লেখত আৰ্থিক আৰ্জনৰ জোখ নিৰ্দ্ধাৰণেৰে চাহ-বাগিছাৰ কুলিৰ সংখ্যা সৰহ হোৱাৰ বাট বহলাই ৰাখি ইউৰোপীয়ান প্লেণ্টাৰ্চ মেম্বৰ বেচিকৈ নিৰ্ব্বাচিত হোৱাৰ সুবিধা হে দাঙি ধৰা হয়। এই দুই বিষয়ে আসাম এচোচিয়েচনৰ গুৱালপৰীয়া কনফাৰেন্সত টানি প্ৰতিবাদ কৰা হৈছিল। আৰু, ফ্ৰান্‌চাইজত আহোম সম্প্ৰদায়ৰ প্ৰতি সুবিচাৰ কৰা নহয়মানে অসমীয়াৰ মনভঙ্গি

নহয় বুলি মন্তব্য দিয়া হৈছিল। এই বিষয়ে হুঁইতে মূল-নীতিতে কেনা। মণ্টাগু-চেম্‌চফোর্ড নীতিত শিখ সম্প্ৰদায়ক সুকীয়া ইলেক্‌টৰেট দিবলৈ প্ৰস্তাৱ কৰি ভাৰতবৰ্ষৰ আন-বিলাক সম্প্ৰদায়ক সেই বস্তুলৈ মনত পেলাই দিয়াৰ সিদ্ধি হে হল; কাৰণ তাৰ পূৰ্ব্বে হিন্দু আৰু মহম্মদান এই দুটা মাথোন সম্প্ৰদায়ৰ সুকীয়াৰ দাবি আনবিলাক সম্প্ৰদায় নিচান দাবি আছিল। দুখৰ বিষয় যে, বিফৰ্ম স্কীম প্ৰণেতা ৰাজনৈতিক পুৰুষযুগলে সাম্প্ৰদায়িক নিৰ্ব্বাচন স্বত্ব কথা উজাৰি দি ভাৰতবৰ্ষৰ প্ৰধান প্ৰধান সম্প্ৰদায়বিলাকৰ অন্তৰত অশান্তি বঢ়ালে মাথোন।

এই খিনিতে আভাস মাথোন দিয়া যায় যে বিফৰ্ম স্কীমৰ মূলনীতি হৈছে দুভগীয়া বা দুকনীয়া শাসনপ্ৰণালী (Diarchy Government)—এভাগ বা একান গৱৰ্ণৰী আৰু ইভাগ বা ইকান মিনিষ্টাৰী। অৰ্থাৎ, গৱৰ্ণমেণ্টৰ হাতৰ কামখিনি দুভাগ কৰি এভাগ চৰ্কাৰী বিষয়াৰ হাতত আৰু গৱৰ্ণমেণ্টৰ হাতৰ কামখিনি দুভাগ কৰি এভাগ চৰ্কাৰী বিষয়াৰ হাতত আৰু ইভাগ বে-চৰ্কাৰী মন্ত্ৰীৰ হাতত দিয়াৰ দিহাকৰণ। ভাৰতপ্ৰবাসী ইউৰোপীয়ান সম্প্ৰদায় আৰু প্ৰাদেশিক গৱৰ্ণমেণ্টৰ সৰহ ভাগেই পোনেই এই ব্যৱস্থাৰ বিৰোধী হৈ উঠে। আৰু, অগত্যা সেই দিহাকৰণ কাৰ্য্যত কৰিয়ালেও যাতে কিছুমান লাগতিয়াল কাৰ্য্যভাৰ মন্ত্ৰীৰ ভাগলৈ পাৰ নহয় তাৰ নিমিত্তে সিবিলাকে উঠি-পৰি লবিবলৈ বাকী নাৰাখিলে। আৰু, সিবিলাকৰ লেখতে আসাম গৱৰ্ণমেণ্টও পৰিছে, কিন্তু আসামৰ চীফ কমিচনাৰ বাহাদুৰৰ মতামতত একেবি সুকীয়াৰ বৈছে।

ওপৰত উল্লিখিওৱা মত সংগ্ৰহ হৈ উঠাৰ সময়ত,—মিঃ মণ্টাগু ভাৰতলৈ অহাৰ ঠিক এবছৰৰ পাচত,—মণ্টাগু-চেম্‌চফোর্ড বিফৰ্ম স্কীমৰ ওপৰত সমূহ ভাৰতবাসী আৰু বিবিধ সম্প্ৰদায়ৰ মতামত গ্ৰহণ কৰিবলৈ বিলাতৰ পৰা এটা অনুসন্ধান-কমিটী গঠিত হৈ আহে। সেই কমিটীত ইংলণ্ডৰ আৰু ভাৰতবৰ্ষৰ ইউৰোপীয়ান আৰু ইণ্ডিয়ান মেম্বৰ নিযুক্ত হৈছিল, আৰু লৰ্ড চাউথবৰো তাৰ সভাপতি আছিল। এই কমিটীয়েও মণ্টাগু-চেম্‌চফোর্ডৰ দৰেই দুমাহমান ভাৰতবৰ্ষৰ লাগতিয়াল কেন্দ্ৰবিলাকত বৈঠক পাতি নানা ঠাইৰ নানা সম্প্ৰদায়ৰ প্ৰতিনিধিবিলাকৰ সাক্ষ্য গ্ৰহণ কৰিছিল। কলিকতাৰ বৈঠকীৰ কালত আসামৰফালৰ পৰা আসাম এছোচিয়েচন, আহোম এছোচিয়েচন, আহুৰ্য্যাম এছোচিয়েচন এইবিলাকৰ প্ৰতিনিধিৰ সাক্ষ্য গ্ৰহণ কৰা হৈছিল। সমস্তেহে এই চাউথবৰো কমিটীয়ে সিবিলাকৰ অনুসন্ধানৰ ফলাফল লিপিবদ্ধ কৰি এটা প্ৰকাণ্ড ৰিপোৰ্ট লোৱাই দিহাদিহি প্ৰদান কৰিলে। এই অনুসন্ধান-সমিতিৰ সিদ্ধান্তৰ বিষয়ে একে আষাৰে কবলৈ গলে, সি-এটা 'কাকৰ আৰাঃ' বা চোপচুলাৰ বাত! কোনো কোনো বিষয়ত সি মূল স্কীমত বিষয়কৈ কেনা হে লগালে। বিশেষকৈ, আসামৰ সম্পৰ্কত চাউথবৰো কমিটী আসামৰ চীফ কমিচনাৰতকৈ একাঠি চৰাহে হল। যেনে, চীফ কমিচনাৰে অকল দুটাৰ নিমিত্তে হে কাঢ়িছিল, চাউথবৰো কমিটীয়ে দুটাৰ স্বৰ্বাৰী ইণ্ডিয়ান খ্ৰীষ্টান সম্প্ৰদায়লৈকো এছেটা কাঢ়ি স্বাৰ্থৰক্ষাৰ চিনাকি দিছিল। ওপৰত কোৱা দুভগীয়া গৱৰ্ণমেণ্টৰ হাতৰ কাম ভগোৱাতো এই কমিটীয়ে পাক লগাই প্ৰাদেশিক গৱৰ্ণমেণ্টবিলাকৰ মতামতকে সমৰ্থন কৰিলে মাথোন।

চাউথবৰো কমিটীয়ে বিদায় লোৱাৰ পাচত, বিলাতত পাৰ্লিয়ামেণ্টত এই বিফৰ্ম স্কীম 'ইণ্ডিয়া গৱৰ্ণমেণ্ট বিল' নামে দাখিল কৰা হয়। পাৰ্লিয়ামেণ্টে এই বিল গ্ৰহণ কৰি তাক পৰীক্ষা কৰিবৰ নিমিত্তে এটা পাৰ্লিয়ামেণ্টাৰী যুটীয়া কমিটীক ভাৰ দিয়ে। এই কমিটী হাউচ অৱ লৰ্ডছ আৰু হাউচ অৱ কমন্স দুয়ো পাৰ্লিয়ামেণ্ট সভাৰফালৰ পৰা প্ৰত্যেকৰ ৭ জনকৈ মুঠ ১৪ জন মেম্বৰৰ দ্বাৰা গঠিত কৰি, লৰ্ড চেলবোৰ্ণক তাৰ সভাপতি পতা হয়। এই কমিটীক সাক্ষ্য দিবলৈ ভাৰতবৰ্ষৰ ভিন্ ভিন্ প্ৰদেশৰফালৰ পৰা ইংলণ্ডলৈ প্ৰতিনিধি পঠিওৱা হয়; আৰু আসামৰ অসম্মে তাৰপৰা বাদ পৰা নাই,—অসমৰ দুজন সু-সন্তান মিঃ নবীনচন্দ্ৰ বৰদলৈ আসাম-এছোচিয়েচনৰ খৰচত আৰু মিঃ প্ৰসন্নকুমাৰ বৰুৱাই নিজ খৰচত আসাম এছোচিয়েচনৰ প্ৰতিনিধি হৈ বিলাতলৈ যাত্ৰা কৰে। ইবিলাক দুজনে নিজৰ বিস্তৰ ক্ষতি অকাতৰে সহ্য কৰি দূৰ-বিদেশ বিলাতত গৈ দুখুনী জন্মভূমি অসমৰ নৈ কি যে মহৎ কাৰ্য্য সাধন কৰি আহিলেনৈ, সেই বিষয়ে সিবিলাকৰ নিজ মুখে বিস্তাৰিত ভাবে এই সভামণ্ডপত

ভলিবলৈ পাম বুলি আশা কৰিছিলোঁহঁক ; কিন্তু দুখৰ বিষয়, সিবিলাকৰ এজনো আজি ইয়াত উপস্থিত নাই। মুঠৰ ওপৰত, এই বিলাত যাত্ৰাৰ মূলনীতিৰ বিষয়ে মোৰ একেষাৰ বক্তব্য এই যে, আসামৰ এই বিলাতযাত্ৰী প্ৰতিনিধিয়ে উপস্থিত উপকাৰ সাধি অহাৰ উপৰিও, আমি এই এটা বহুমূলীয়া নীতিমূলক লাভ আৰ্জিলোঁহঁক যে, ৰাজনৈতিক আন্দোলনত আমি অসমীয়া পিচপৰা জাতি নহওঁ, আমিও যে আৱশ্যক হলে ভাৰতৰ আন আন প্ৰদেশৰ সমানে আমাৰ প্ৰাপ্য হক বিচাৰি বিলাতৰ ঘাই গৱৰ্ণমেণ্টৰ ওচৰলৈ প্ৰতিনিধি পঠিয়াব পাৰোঁ, তাৰ চিন্ ওলাল। আমাৰ এই প্ৰতিনিধি যুগলে সাধি অহা কৰ্ত্তব্যৰ বিষয়েও বহলাই নকৈ একেষাৰ মাথোন কওঁ যে, সিবিলাক যথা-সময়ত লণ্ডনত 'জইণ্ট কমিটী'ৰ সংসৰ্গত উপস্থিত নথকা হলে, ভাৰত গৱৰ্ণমেণ্টৰ ৯ম বাৰৰ প্ৰেৰিত মন্তব্যে (9th despatch of Govt. of India) আসামৰ ভাগ্য যে ভাঙিলেহেঁতেন তাত মোৰ সন্দেহ নাই। আসামৰ চীফ কমিচনাৰৰ প্ৰস্তাৱ মতে ভাৰতগৱৰ্ণমেণ্টে আসামক আনবিলাক প্ৰদেশৰপৰা বিভাগ কৰি ইয়াত গৱৰ্ণৰৰ সলনি চীফ-কমিচনাৰীকে ৰাখিবলৈ আৰু সেই অনুসৰি শাসন পদ্ধতিতো হীন-ভেটি ঘটাবলৈ সেই নৱম বাৰৰ মন্তব্যত যি অন্যায় প্ৰস্তাৱ পঠিয়াইছিল, তাক ওফৰাব পৰাকৈ আমাৰ প্ৰতিনিধিয়ে যুটীয়া কমিটীত দ্বিতীয়বাৰ যি লিখিত সাক্ষ্য শোধাইছিল তাক মেলি চালেই মোৰ বক্তব্যৰ মৰ্ম্ম ওলাই পৰিব। সেই সাক্ষ্যৰ নমুনাস্বৰূপ ইয়াত তাৰ এফাঁকিমান মাথোন আপোনাসকলৰ আগত দাঙি ধৰোঁ। সেই দ্বিতীয় বাৰত যোগান দিয়া সাক্ষ্যৰ দ্বিতীয় আপত্তিৰ দ্বিতীয় ছেদৰ শেহৰ ফাঁকি বাক্য এই,—"It is true that Assam did not evince any tendency towards violent political activities as it showed during the serious agrarian riots of 1894, or like Bengal of recent years. But it is a matter to be considered that hopes have been raised in the minds of a cultured and intelligent people, inheritors of a very ancient civilisation, and the meting out of differential treatment converting the scheme into nothing, might produce extremely harmful results." এই সময়ত এই প্ৰসঙ্গত ইয়াতকৈ বেচি অৰ্থভৰা সকেত ঘাই গৱৰ্ণমেণ্টৰ ওচৰত আৰু কি হব পাৰে ? ৰাইজ ! শুনি হিয়া শাঁত লাগি যায়, সেই নৱম বাৰৰ প্ৰস্তাৱ জইণ্ট কমিটীয়ে উকৰাই পঠিয়াইছে, আৰু আসামক ভাৰতৰ আনবিলাক প্ৰদেশৰ পৰা বিভিন্ন ব্যৱহাৰত (Differential treatment) ৰখা প্ৰস্তাৱে জইণ্ট কমিটীৰ ৰিপোৰ্টত ঠাই পোৱা নাই, আদত বিলত তো নাছিলেই।

তাৰ পাচত, মণ্টাগু-চেম্চফোৰ্ড ৰিফৰ্ম স্কীমৰ মূল ৰিপোৰ্টৰ সংস্কাৰ সাধি পাৰ্লিয়ামেণ্টত যি "ভাৰত গৱৰ্ণ-মেণ্ট বিল" দাখিল কৰা হৈছিল, তাৰ সংস্কাৰ সাধি জইণ্ট-কমিটীয়ে নিজৰ সিদ্ধান্ত মতামত শোধায়, আৰু বিলখন যথাবিধি আকৌ পাৰ্লিয়ামেণ্টত দাখিল কৰা হয়। জইণ্ট-কমিটীৰ সিদ্ধান্ত মতেই পাৰ্লিয়ামেণ্টে বিলখন পাচ কৰে, আৰু ৰাজাজ্ঞামতে সি এতিয়া এইদৰে আইনত পৰিণত হৈছে :—যেনে, (১) প্ৰাদেশিক গৱৰ্ণমেণ্টবিলাকৰ শাসন দুভগীয়া বা দুকনীয়া হব, অৰ্থাৎ গৱৰ্ণমেণ্টৰ সমুদায় কাৰ্য্য-ভাৰ আৰু দায়িত্ব দুভাগ কৰি, এভাগ চৰ্কাৰী বিষয়া-মেল আৰু ইভাগ বে-চৰ্কাৰী বিষয়া-মেলৰ কানত স্তম্ভ কৰা যাব। (২) যদ্যপি চৰ্কাৰী আৰু বে-চৰ্কাৰী দুখন স্বকীয়া মেলৰ স্বকীয়া দায়িত্ব থাকিব, তথাপি গৱৰ্ণৰে দুয়োখন মেলৰে সৈতে সমানে আৰু সৰৱৰহীকৈ ৰাজকাৰ্য্য পৰ্য্যা-লোচনা কৰিব। (৩) দুয়োখন পাৰ্লিয়ামেণ্টৰ (হাউচ অৱ লৰ্ডচ আৰু হাউচ্ অৱ কমন্স) প্ৰতিনিধি মেম্বৰৰে সৈতে এখন স্থায়ী যুটীয়া কমিটী গঠিত হব। প্ৰাদেশিক কাউন্সিলে সৈতে গৱৰ্ণৰ আৰু ভাৰত গৱৰ্ণমেণ্টৰ লোন-হতীয়াকৈ এই পাৰ্লিয়ামেণ্টাৰী কমিটীৰ লগত সম্বন্ধ চলিব। (৪) ৰাজকাৰ্য্যাদিও চৰ্কাৰী আৰু বে-চৰ্কাৰী মেল দুখনক নিৰ্দ্ধাৰিতকৈ ভগাই দিয়া হৈছে ; আনবিলাক কাৰ্য্যবিভাগৰ লগতে গোটেই শিক্ষাবিভাগ আৰু শ্ৰম-শিল্পৰ উন্নতি বিধায়ক বিভাগ বে-চৰ্কাৰী মেলৰ হাতলৈ পাৰ হৈছে। (৫) কাৰ্য্যভাৰ বিভাগ হলেও ৰাজহ বিভাগ

নহয়। এইবাৰে যদি চৰকাৰী আৰু বে-চৰকাৰী মেম্বৰ মাজত মতান্তৰ ঘটে, তেন্তে তাৰ সমস্যা গৱৰ্ণৰে ভাঙি দিব, কিম্বা তেওঁ ইচ্ছা কৰিলে গৱৰ্ণৰ জেনেৰেলৰ দ্বাৰা নিয়োজিত ৰাজকীয় ক্ষমতাই তাৰ মীমাংসা কৰি দিব। আৰু, তেনে সিদ্ধান্তত উপস্থিত হব নোৱাৰালৈকে ঠিক আগৰ বছৰৰ বাজেট মতেই চৰকাৰী কাৰ্য্যৰ খৰচাদি চলি থাকিব। (৬) প্ৰাদেশিক গৱৰ্ণমেণ্টবিলাকত গৱৰ্ণৰৰ লগত দুজনকৈ মন্ত্ৰী (Ministers) থাকিব। সিহঁতৰ দুয়ো লগ লাগি ৰাজকাৰ্য্য পৰ্য্যালোচনা কৰিব। কোনো কথাত গৱৰ্ণৰৰ লগত মনান্তৰ ঘটিলে মিনিষ্টাৰে বিষয়-বাব ইস্তফা দিব পাৰিব ; আৰু কোনো অবাইত ভুল কৰা বা অন্যায়পন্থী হোৱা দেখিলে গৱৰ্ণৰে মিনিষ্টাৰক বৰ্খাস্ত কৰিব পাৰিব। (৭) একজিকিউটীভ কাউন্সিলত সচৰাচৰ দুজন মেম্বৰ থাকিব, কিন্তু যেতিয়া সেই দুয়োজন মেম্বৰ চৰকাৰী বিষয়া হব আৰু যদি সিহঁতৰ এজন মেম্বৰো ভাৰতীয় (Indian) নহয়, তেন্তে আৰু দুজন বে-চৰকাৰী ইণ্ডিয়ান মেম্বৰ লগাই লোৱা যাব। মিনিষ্টাৰ আৰু একজিকিউটীভ মেম্বৰৰ মৰ্য্যাদা সমান হব। (৮) প্ৰজাই পোনহতীয়াকৈ কাউন্সিলৰ মেম্বৰ নিৰ্ব্বাচন কৰিব পাৰিব। চহৰীয়াৰপৰা পৃথকাই গাৱঁলীয়া প্ৰজাৰ প্ৰতিনিধিৰ নিমিত্তে যথোচিত সংখ্যক আসন নিৰ্দ্ধাৰিত ৰাখিবলৈ আৰু গাৱঁলীয়া প্ৰতিনিধি যাতে যথেষ্ট পৰিমাণে হয়, তাৰ সুবিধা লগাবলৈ ভাৰত-গৱৰ্ণমেণ্টৰ গাত ভাৰ থাকিব। (৯) অনুন্নত (depressed) সম্প্ৰদায়ৰ যথোচিত সংখ্যক প্ৰতিনিধি মেম্বৰ গৱৰ্ণমেণ্টৰ বাছনি (Nomination) মতে বঢ়াবলৈ প্ৰাদেশিক গৱৰ্ণমেণ্টৰ সৈতে পৰামৰ্শ কৰি ভাৰত-গৱৰ্ণমেণ্টে নিয়ম নিৰ্ব্বন্ধ কৰি লব। বঙ্গদেশৰ বাহিৰে ইউৰোপীয় প্ৰতিনিধিৰ প্ৰথা সকলো প্ৰদেশতে চলিব। (১০) লেজিচ্‌লেটীভ কাউন্সিলৰ প্ৰথম প্ৰেচিডেন্ট বাছনি আদিৰে পৰা পাৰ্লিয়ামেণ্টাৰী প্ৰথাৰে উন্নতভাৱে চলিব। আৰু, সেই প্ৰেচিডেন্ট পাৰ্লিয়ামেণ্টৰ অভিজ্ঞতা থকা লোক হব। (১১) কৰ-কাটল লগোৱা প্ৰস্তাৱ আদি লেজিচলেটীভ কাউন্সিলত দাখিল কৰাৰ আগেয়ে দুয়ো আৰক্ষা গৱৰ্ণমেণ্ট সেই বিষয়ত একমত হব লাগিব। (১২) 'গ্ৰাণ্ড কমিটী' বুলি যি ওপৰহতীয়া ক্ষমতাৰ এটা কমিটী বিলত প্ৰস্তাৱিত হৈছিল, তাক বাদ কৰা হৈছে। লেজিচ্‌লেটীভ কাউন্সিল মুকলিমূৰীয়াকৈ পাৰ্লিয়ামেণ্টাৰী স্থায়ী কমিটীৰ সহভুক্ত হব। সেই একে বিবেচনাৰ ওপৰতে "কাউন্সিল অৱ ষ্টেট" বুলি যি ওপৰহতীয়া চৰকাৰী ৰাজসভা প্ৰস্তাৱিত হৈছিল, সিও অগ্ৰাহ্য হৈছে। ইয়াৰ দ্বাৰা প্ৰাদেশিক গৱৰ্ণমেণ্টবিলাক মুকলিমূৰীয়া হল। (১৩) লেজিচ্‌লেটীভ এচেম্ব্লিয়ে ভাৰতীয় বাজেটত পোনহতীয়াকৈ মতামত দিব পাৰিব। (১৪) গৱৰ্ণৰ-জেনেৰেলৰ একজিকিউটীভ কাউন্সিলত কমকৈও তিনিজন ইণ্ডিয়ান মেম্বৰ থাকিব। (১৫) বিলাতত "ইণ্ডিয়া অফিচ" চলোৱা সকলো খৰচ বৃটিচ বাজেটত ধৰা হব। "কাউন্সিল অৱ ইণ্ডিয়া" আগৰ দৰেই ৰখা হল, কিন্তু তাত ইণ্ডিয়ান মেম্বৰ সৰহকৈ লোৱা যাব, আৰু তাৰ জীৱনকাল পাঁচ-বছৰীয়া হব ইত্যাদি।

"ইণ্ডিয়া বিল" বা ভাৰতীয় শাসন-সংস্কাৰৰ প্ৰস্তাৱনা প্ৰকৃততে আইনত পৰিণত হৈছে। দুয়োখন পাৰ্লিয়ামেণ্ট সভাৰ সমালোচনা পাৰ হৈ, সি এতিয়া ভাৰত-সম্ৰাটৰ সম্মতিৰে সৈতে "ইণ্ডিয়া গৱৰ্ণমেণ্ট আইন" নাম পাইছে। ইয়াৰ গঠন সম্পূৰ্ণকৈ জনাজাত নৌ হয় এখোন, আইনখনৰ ঘাই অঙ্গ কেইটাত বাজে তাৰ অন্যান্য অঙ্গ-প্ৰত্যঙ্গাদি এতিয়াও আইনৰ আনুষঙ্গিক নিয়ম-প্ৰণালীৰ গৰ্ভত আছে। তথাপি, যুটীয়া কমিটীৰ হাতৰপৰা ওলাই যাওঁতে বিলখনৰ সম্পৰ্কে কমিটীয়ে এইদৰে মন্তব্য দিছিল ; যেনে,—"এই আইন লাভত ভাৰতবাসীয়ে ৰাজনৈতিক আলোচনাত আৰু এযোগ উধাবলৈ চল পালে যাখোন। ই যে সিহঁতৰ আকাঙ্ক্ষাৰ জোখায় হৈছে, এনে নহয়। গতিকে ভাৰতবৰ্ষৰ ৰাজনৈতিক নেতাসকল ইয়ানতে কেতিয়াও সন্তুষ্ট নহয়, বৰঞ্চ সিহঁতে আগতকৈও বেছি উদ্যম আৰু উৎসাহেৰে সম্পূৰ্ণ স্বায়ত্তশাসন আৰু দায়িত্ব-পূৰ্ণ গৱৰ্ণমেণ্ট পাবলৈ আন্দোলন আগ বঢ়াব বুলিহে বিশ্বাস হয়।"

মোৰ মনেৰে, ওপৰত দিয়া আভাসেৰে ভাৰতীয় গৱৰ্ণমেণ্টৰ শাসন সংস্কাৰত যি ভাৱে ধৰা হয়, তাৰে সৈতে

জনপ্ৰতিনিধিমূলক উন্নত গৱৰ্ণমেণ্ট আৰু স্বায়ত্তশাসন হাতত লৈ মন পৰিতাপৰ পৰা পলইছেন ; কিন্তু অতি দুখৰ বিষয় যে, আমি অসমবাসীয়ে সেই ভাৰ সৰৱৰহীকৈ গ্ৰহণ কৰিবলৈ অক্ষম হৈছোঁহক। কাৰণ, বৃটিচ্ ৰাজপুৰুষসকলে আসামক ইয়ানতো একেবা হীন-ভেটি নেদেখুৱাকৈ নেৰিলে। যে-চৰ্কাৰী মেলৰে পাৰ কৰা বিষয়বিলাকৰ (Transferred subjects) ভিতৰত আবকাৰী বিভাগ, গড়কাপ্তানী বিভাগ, জলকৰ বিভাগ, বনকৰ বিভাগ, এই-কেইটা লাগতিয়াল বিষয়ক শাসনত ভাৰতবৰ্ষৰ আন-বিলাক প্ৰদেশৰ দৰে আসামক অধিকাৰ দিয়া নাই। সেইবাবেই আসামবাসীৰ মনত উপস্থিত শাসন-সংস্কাৰত 'হৰিষে-বিষাদ' যেন লাগিছে। এই হীন-ভেটি দুগুচেমানে আমাৰ মনতুষ্টি নহয়।

সামৰণীত ইয়াকে মাথোন কওঁ যে, ধীৰপন্থী আৰু চৰমপন্থী দুয়ো ফৈদৰ ভাৰতীয় নেতাসকলে এইটো মনত ৰাখিব যে, এই শাসন-সংস্কাৰ ভাৰতবাসীলৈ এটা মহা অগ্নি-পৰীক্ষা। এই পৰীক্ষাত সুখ্যাতিৰে সৈতে উত্তীৰ্ণ হব পাৰিলে হে আমাৰ আটেকুৰি বছৰীয়া ৰাজনৈতিক আন্দোলনৰ উদ্দেশ্য সিদ্ধি হব। আনন্দত উধাও হোৱা কিম্বা বিষাদত ম্ৰিয়মান হোৱাৰ সময় এতিয়া আমাৰ নহয়, এতিয়া আমি কাছিপাৰি যুঁজিবৰ হে সময়।

লগৰীয়া বাইজ ! নকবোঁ বুলিও আকৌ ভালেখিনি পৰলৈ আপোনাসকলক আমনি কৰিলোঁ ; সেইবাবে আপোনাসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি, আৰু আজি এই জাতীয় মহাসভাত সভাপতিৰ আসন দি মোক আদৰ কৰাৰ বাবে আকৌ এবাৰ আপোনাসকলৰ শলাগ লৈ, মই এতিয়া ইয়ানতে মোৰ বক্তৃতাৰ সামৰণী মাৰোঁ।

ৰৰপেটা,

ইং ২৭. ১২. ১৯

সদৌ অসম
আহোম এচোচিয়েচন সন্মিলনী

শিৱসাগৰ—৫ আৰু ৬ এপ্ৰিল, ১৯৪১ চন

শ্ৰদ্ধেয় সূত্ৰধাৰ ডাঙৰীয়া! স্নেহাস্পদ আদৰণী সভাৰ সভাপতি, সম্পাদক আৰু সমজুৱাসকল! উপস্থিত আই-সকল! সমজুৱা জাতিবৰ্গ! আৰু, সমবেত বাইজসকল! আপোনাসকললৈ মোৰ সভক্তি নমস্কাৰ। আপোনাসকলে অনুগ্ৰহকৈ মোৰ বিনীত সম্ভাষা গ্ৰহণ কৰি মোক অনুগৃহীত কৰে যেন।

আহোম এচোচিয়েচনৰ আজি এটা মহাদিন। আজি আহোম এচোচিয়েচনে ৪৮ বছৰ পাৰ হৈ, ৪৯ বছৰৰ কাৰ্য্য-ক্ষেত্ৰত নামিছে; আৰু এবছৰৰ মূৰত আহোম এচোচিয়েচনৰ অৰ্দ্ধশতাব্দীয়া সোণালী জয়ন্তীৰ দিন আহিব। ইমান পুৰণি এচোচিয়েচন বা ৰাজহুৱা সভা অসমত আজি দ্বিতীয় এখন নাই। আছিল, ইয়াতকৈও বছৰদিয়েকৰ বয়সীয়া এখন সদৌ অসমৰ ৰাজহুৱা সভা, 'অসম এচোচিয়েচন'; কিন্তু আজি বছৰদহেকমানৰপৰা তাৰ অস্তিত্ব লোপ পোৱাৰ নিচিনা হৈছে,—তাৰ নাম মাথোন আছে, কাম নাই। 'অসম এচোচিয়েচন' আৰু 'আহোম এচোচিয়েচন' এই দুটা অসমৰ মহৎ অনুষ্ঠান সমান্তৰালভাৱে ভালেমান বছৰ চলি থকাৰ পাচত হে অসমৰ অপৰাপৰ জাতীয় আৰু সাম্প্ৰদায়িক সভাবিলাকে জনম লৈ ক্ৰমাৎ উন্নতি লাভ কৰি আহিছে। বছৰদহেকমানৰপৰা 'আহোম এচোচিয়েচন'ৰ যি দুৰ্দ্দশা মিলিবলৈ ধৰিছিল, তাতে চাই, ইয়াৰো অচিৰে 'অসম এচোচিয়েচন'ৰ দশা মিলিব হে আশঙ্কা দেখা গৈছিল; কিন্তু বৰ সৌভাগ্য আৰু পৰম সন্তোষৰ কথা, ভাগ্যচক্ৰত চিৰকাললৈ তল নপৰি, 'আহোম এচোচিয়েচনে' আজি পুনৰুত্থানৰ অথন্যাত ভৰি দিছে। আহোমৰ অস্তিত্বমূলক উপস্থিত সমস্যাই পাক-লাগি এই নৱজাগৰণৰ মূল কাৰণ হৈছে। আহোমৰ বৰ্ত্তমান দৈহিক, নৈতিক, ধৰ্মীয়, সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যাই এই পতিত সম্প্ৰদায়ক পুনঃ মূৰ দাঙিবলৈ উদগনি দিছে। 'আপদে সম্পদ মতে' এই নীতি অনুসৰি, আহোম জাতি আকৌ সম্পদমুখীয়া হোৱা দেখি মোৰ অন্তৰত অপাৰ আনন্দ মিলিছে।

'শিৱসাগৰ জিলা আহোম সভা'ৰ অধিবেশনে, যোৱা ইং ২।১১।৪০ তাৰিখে, শিৱসাগৰ মহকুমাৰ সদৌ আহোম বাইজৰ যি এখন বিৰাট ৰাজহুৱা সভা বহিছিল, তাৰ কাৰ্য্যবিৱৰণীৰ পাতনিত 'সদৌ অসম আহোম এচোচিয়েচন সন্মিলনী'ৰ আজিৰ এই বৈঠকৰ উদ্দেশ্যৰ বিষয়ে ভালেমান কথা বহলাই কোৱা হৈছে। যি সকলে সেই পাতনি আৰু কাৰ্য্যবিৱৰণী পঢ়িছে, সেইসকলে আগতে তাৰ সন্ধান পাইছে, যিসকলে পঢ়িবলৈ পোৱা নাই, সেইসকলকো পঢ়ি চাবলৈ কওঁ, কিয়নো মোৰ আজিৰ বক্তব্যৰ ভালেখিনি কথা সেই পাতনিৰ বুকুত আগধৰি সোমাই আছে। আহোমৰ উপস্থিত অধোগতিৰ যি কেইটা কাৰণ সেই পাতনিত থাপি থৈছে, সেই আটাইকেইটা মোৰ মনত সঁচা; সত্তিকৈ, এই অভিজ্ঞতাত, ঠাই বুজি, তাতে উদ্ধকিবাই দু-আষাৰ যোৱাৰি কোৱা হব মাথোন। সেইবিলাক আৰু তাৰ আনুষঙ্গিক কিছুমান মৰ্ম্মস্পৰ্শী কাৰণে আহোম সম্প্ৰদায়ৰ অন্তৰলৈ যি অনুতাপ আনিছে,

তাৰ প্ৰেৰণাই পতিত আহোমক আকৌ ওপৰলৈ তুলিব বুলি মোৰ মনত বিশ্বাস জন্মিছে। কিয়নো, ই স্বভাৱৰ নিয়ম। কালচক্ৰত, গাড়ীৰ খিলাবদৰে, মানুহৰ ভাগ্য এবাৰ তল পৰি আকৌ ওপৰ উঠা ৰীতি সৃষ্টি-পাতনিৰে-পৰা চলি আহিছে।

আহোমৰ অতি-উদাৰতা।—য'তে ত'তে সৰ্বো-বিষয়তে 'অতি' মাত্ৰাটো অপকাৰী। অতিমাত্ৰায়েই যে আহোম পতনৰ আচল কাৰণ, তাক বহলাই নকলেও হব। আহোমৰ উদাৰতা পৰিমিত মাত্ৰা চেৰাই অতিচাৰৰ সীমাত সোমাল, তেতিয়াৰপৰাই আহোমৰ অস্তিত্ব ক্ৰমাৎ ম্লান পৰি আহিবলৈ ধৰিলে। তাৰ আনুষঙ্গিক ফলস্বৰূপেই, আহোমৰ আগৰ ৰাজসিক আৰু সামাজিক বল হীন হৈ আহিল; আৰু তাৰ অপৰিহাৰ্য্য পৰিণামত আৰ্থিক দুৰৱস্থা ঘটিল। অতি-উদাৰতাৰ ফলত আহোমে নিজৰ ভাষা হেৰুৱালে, নিজৰ ধৰ্ম এৰিলে, নিজৰ প্ৰাধান্যতালৈ পাহৰিলে, নিজৰ সামাজিক আচাৰ-ব্যৱহাৰ, নীতি-নিয়মাদিবো পৰিবৰ্ত্তন ঘটাই, নিজ সম্প্ৰদায়ৰ ভিতৰত ভেদাভেদ লগাই, নিজে নিজৰ দুৰ্ব্বলতা দেখুৱাবলৈ ধৰিলে। সেই ছেগতে, অপৰাপৰ তলতীয়া সম্প্ৰদায়ে বঘূমলাবৰবে আহোম ৰবগছ ছাটি পেলালে। তাৰ অৱশ্যম্ভাৱী ফলস্বৰূপ আহোমৰ ৰাজগৌৰৱ আৰু স্বাধীনতা সমূলঞ্চে লোপ পালে। আহোমৰ ৰাজগৌৰৱ, জাতগৌৰৱ আৰু স্বাধীনতাৰ বল ক্ষয় হোৱাৰ বাবেই, একালত অসম জুৰি ফেৰমেলি উঠা আহোম ৰবগছ হালি পৰিল, সেই হলা গছক আটায়ে আঁজুৰি মাটিত চেপেটা লগালে! এনে কি, হৰিণাই বাঘৰ গাল চেলেকাৰ দৰে, আহোমৰ পদানত লোকেও সেই পতিত গছৰ ওপৰে ভেওদি পাৰ হবলৈ ধৰিলে!

আহোমৰ মৰামুছা যুগ।—ইং ১৮৩৮ চনৰপৰা ১৮৯৩ চনলৈকে বৃটিচ্ আমোলৰ এই ছোৱা আহোমৰ মৰামুছা যুগ। এই ৫৫ বছৰ বা অৰ্দ্ধশতাব্দীৰ ভিতৰতে আহোম সম্প্ৰদায় এনেদৰে নগণ্য আৰু হেয় হৈ পৰিল যে, তাৰ অলপ পূৰ্ব্বতে দুপৰ-সূৰুজৰদৰে জ্বলি থকা জাতিটো একেবাৰে জঁয় পৰিল। পূৰ্ব্ব-গৌৰৱ আহোমৰ মানত সপোনৰ কথা যেন লগা হল। বহুত ওখৰপৰা হঠাৎ খহি মাটিত পৰিলে মৰামুছা অৱস্থা ঘটাটো আচৰিত নহয়; কিন্তু তেনে অৱস্থাত আনৰপৰা, বিশেষকৈ আগৰ অনুগৃহীত লোকৰপৰা পুতৌ নোপোৱাটো হে অতি আচৰিত। আহোমৰাজৰ দ্বাৰাই প্ৰতিপালিত, আহোম স্বৰ্গদেৱৰ প্ৰদত্ত মান-মৰ্য্যাদাৰে বিভূষিত আহোম ৰজাদিনীয়া বিষয়াৰ সতি-সন্তানে আপদত সহানুভূতি দেখুৱাই আহোমৰ মান-গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ চাওক ছাৰি, আহোমৰ পূৰ্ব্ব-গৌৰৱ ঢাকি ধৰি পাৰ্য্যমানে পৰৰ আগত সিবিলাকক অৱজ্ঞা কৰিবলৈ হে ধৰিলে। গতিকে, বিদেশী বৃটিচৰাজে উপযাচি আহোম ৰাজবংশী লোকৰ প্ৰতি সদয় হোৱাৰ প্ৰয়োজন নেদেখিলে। ফলত, আহোম সৰ্ব্বস্বান্ত হল, গছকাত শিপা ছিগা তুৰবিৰ দৰে জঁয় পৰিল। স্বৰূপত, ভাৰতৰ ভিতৰত আন কোনো ভগা-ৰাজবংশক বৃটিচৰাজে আহোমৰ দৰে নগণ্য বিবেচিত কৰা নাই; ভাৰতৰ অন্যান্য ভগা-ৰাজবংশী লোকৰ প্ৰতি বৃটিচ গৱৰ্ণমেণ্টে যি ৰাজ-অনুগ্ৰহ দেখুৱাই আহিছে, তেনে অনুগ্ৰহৰপৰা আহোমক সমূলি বঞ্চিত কৰা হল। আন কি, সাধাৰণ ৰজা-জমিদাৰ আদিয়ে ভোগ কৰা পেঞ্চনাদি সৰ্ত্তৰপৰাও আহোম ৰাজবংশধৰসকলক বঞ্চিত কৰা হল। গতিকে, দিনক-দিনে আহোম হতশ্ৰী হৈ ইতৰ প্ৰজা শ্ৰেণীবো তলত পৰিল, নিচেই তলৰ থাপৰ অসমীয়ায়ো আহোমক ঘিণাবলৈ ধৰিলে; এনে কি, আহোমে 'আহোম' বুলি চিনাকি দিবলৈ লাজ পোৱা হল, নিজৰ অতীত গৌৰৱ পাহৰি, ধৰ্ম আৰু সমাজ সম্পৰ্কত নিজত্ব হেৰুৱাই পৰৰ নামেৰে চিনাকি দিবলৈ শিকিলে। সেই আপাহতে, ওখ থাপৰ হিন্দুৰ অবিচাৰত অস্পৃশ্য হৈ তল পৰি থকা অৱনত সম্প্ৰদায়বো কোনো কোনো ওপৰলৈ উঠিল, কোনো আহোমৰ সমনীয়া হল। ৰাজনীতি সম্পৰ্কতো বিদ্যা-বুদ্ধিত আগ-বঢ়া অপৰাপৰ সম্প্ৰদায়ৰ চতুৰ লোক-সকলে অশিক্ষিত হোৱা ভেৰা আহোমক চাই পেলাই ৰজা-ঘৰ বা চৰ্কাৰৰপৰা প্ৰতিপত্তিৰ আগভাগ জোৰ কৰি আগুৱাবলৈ ধৰিলে; আৰু আহোম সম্প্ৰদায় অৱনতিৰ মুখে ক্ৰমাৎ পিচুৱাৰ লগাত পৰিল। সৰ্ব্বোপেক্ষা, নিৰ্জ্জৰা নিশকতীয়া আহোম নিতান্ত দৰিদ্ৰ, নিষ্কিণ আৰু

হুকলা হৈ পৰিল ; ফলিতাৰ্থত আহোম সম্প্ৰদায়ৰ মৰামুছা অৱস্থা ঘটিল।

আহোমৰ পুনৰুত্থানৰ উদ্ভৱ।—এনেকুৱা মৰামুছা অৱস্থাত, এনে জীৱন-মৰণ সমস্যাৰ সন্ধিক্ষণত ভগৱন্তে একেবি কৃপা কৰি আহোমৰ নিৰ্জ্জীৱ প্ৰাণত সঞ্জীৱনী শক্তিৰ সঞ্চাৰ কৰিলে। আহোম জাতিৰ জনচাৰেক জনা-বুজা লোকৰ একেবি চেতনা উদয় হল। সিঁহঁতে নিজৰ গাত অসহন বেদনাৰ গম্ধৰি, জাতিৰ পুনৰুত্থানৰ উপায় উদ্ভাৱন কৰাৰ অৰ্থে কুকুৎ-কাবাং কৰিবলৈ ধৰিলে। তাৰে ফলত এই "আহোম এচোচিয়েচন"ৰ জন্ম। এই এচোচিয়েচনে ক্ৰমাৎ ইয়াৰ শাখা-প্ৰশাখা মেলি উল্লিখিত জাতীয় বেদনা-বোধ সদৌ অসমৰ জিলা, মহকুমা আৰু নানা আহোম কেন্দ্ৰত কেনেকৈ বিয়পাবলৈ ধৰিলে ; তাৰ ফলত নিৰ্জ্জীৱ আহোমৰ প্ৰাণত চেতনাৰ সঞ্চাৰ কি ভাৱে উদয় হবলৈ ধৰিলে, সেই চেতনা পাই মৰপাটীৰপৰা আহোমে কেনেকৈ মূৰ দাঙিবলৈ ধৰিলে, সেই জাগৰণৰ আনুষঙ্গিক সমূহ আহোম জাতিৰ আশাতথীয়া উদ্যম আৰু পুৰুষালিৰ গুণত কিৰূপে এই পতিত জাতিৰ পুনৰুত্থানৰ লক্ষণে দেখা দিলে, আহোমে নিজৰ ভৰিত নিজে থিৰ দি থিয় হবলৈ ধৰা দেখি, পৰৱৰ্ত্তী বৃটিচৰাজে যথাসময়ত পূৰ্ব্ববৰ্ত্তী আহোমৰাজৰ পূৰ্ব্ব-গৌৰৱ আৰু মান-মৰ্য্যাদালৈ লক্ষ্য কৰি, আহোম সম্প্ৰদায়ৰ উন্নতিকল্পে বিবিধ বিষয়ত কি ভাৱে অনুগ্ৰহ দান কৰিবলৈ ধৰিলে ; আৰু তাৰ ফলত আহোম কেনেকৈ আকৌ এদোপ উধাৰ পৰা হল, সেইবোৰ বিষয়ক বিবৃতি বা বুৰঞ্জী সদৌ অসমৰ আহোম বাইজে জনা উচিত, যিহেতু বুৰঞ্জীয়ে পুনৰাবৃত্তি অভিনীত কৰে (History repeats), পুনৰাবৃত্তিয়ে সোঁৱৰণী আনে আৰু সোঁৱৰণীয়ে উদগনি দিয়ে। সেই উদ্দেশ্যেই আহোম এচোচিয়েচনৰ জীৱন-বুৰঞ্জীৰ চমুটোকা এটা তলত দিয়া হল। যেনে,—

(১) পোন্-প্ৰথমে, ৪৮ বছৰৰ আগেয়ে, ইং ১৮৯৩ চনৰ ১৩ মেই তাৰিখে, শিৱসাগৰ টাউনত, ছোৱালী স্কুল-ঘৰত, এই নিঃকিনৰ (শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা) আহ্বানত পোন্-প্ৰথম আহোম-সভা প্ৰতিষ্ঠিত হয়। এই কাৰ্য্যত তেওঁক ৺পদ্মেশ্বৰ গোহাঞি ফুকন, ৺কণনাথ গোহাঞি ফুকন, ৺কৃষ্ণানন্দ গোহাঞি ফুকন প্ৰমুখ্যে জনচাৰেক প্ৰবীণ আহোম জাতি-ভাঙৰীয়াই গা দি সহায় কৰিছিল। তাৰ পাচত, জাতি জাগৰণৰ ফলস্বৰূপ, এই সভাই ক্ৰমাৎ গা কৰি উঠে ; আৰু তাৰ ফলস্বৰূপেই, গহকাত জঁয় পৰা ডুবৰি নিয়মৰ জীপ্ পাই ঠন্ ধৰি উঠাৰ দৰে, আমাৰ পতিত আহোম জাতিয়েও এই ছেগতে পুনঃ মূৰ দাঙিবলৈ ধৰে। এয়ে বৰ্ত্তমান শিৱসাগৰ আহোম এচোচিয়েচনৰো ঘাটি-গুৰি।

(২) ইং ১৮৯৩ চনৰ ৩১ আগষ্ট তাৰিখে, উত্তৰ-লক্ষীমপুৰ মজলীয়া ইংৰাজী স্কুল-ঘৰত, ৺পানীন্দ্ৰনাথ চেটিয়া গগৈদেৱৰ উদ্যমত, এই অভাজনৰ (শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা) সভাপতিত্বত, সদৌ মহকুমাবাসী প্ৰতিনিধি আহোম জাতিবে সৈতে এখন আহোম-সভা শিৱসাগৰ আহোম সভাৰ আৰ্হিৰে প্ৰতিষ্ঠিত হয়। এই সভা সংস্থাপনত সমূহ জাতিবৰ্গৰ সহানুভূতিৰ উপৰি, সেই কালৰ বয়োজ্ঞান-বৃদ্ধ জাতি ৺ধিপাৰাম গোহাঞিবৰুৱা আৰু ৺কণনাথ গোহাঞি ফুকন ডাঙৰীয়াদ্বয়ৰ বিশেষ সহানুভূতি পোৱা গৈছিল। ৺পানীন্দ্ৰনাথ গগৈদেৱক নিগাজীকৈ এই সভাৰ সম্পাদক পতা হয় ; আৰু তেওঁৰ আশাতথীয়া যত্নৰ ফলত অলপ দিনৰ ভিতৰতে সভাখনি সৰ্ব্বতোভাৱে টনকিয়াল হৈ উঠে। সেই মূলৰপৰাই উৎপন্ন হৈ আজিলৈকে সেই আহোম-সভাই বিশেষ দক্ষতাৰে সৈতে জাতিৰ উন্নতি-বিধায়ক কাৰ্য্য চলাই আহিছে। এয়ে **উত্তৰ-লক্ষীমপুৰ** আহোম এচোচিয়েচনৰ ঘাটি-গুৰি।

(৩) আদি মূল সভা শিৱসাগৰত প্ৰতিষ্ঠিত হোৱাৰ দহ বছৰমানৰ পাচত, ডেকাপুৰ গৰৈয়াৰিৰ বয়োজ্ঞানবৃদ্ধ জাতিপ্ৰাণ ৺বিপলগা বুঢ়াগোহাঞি ডাঙৰীয়াৰ অহো-পুৰুষাৰ্থৰ ফলত, ইং ১৯০২ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে, এই দুখীয়াৰ (শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা) চ'ৰাত, চতিয়া-নিবাসী ৺সূৰ্য্যচন্দ্ৰ সন্দাল বৰগোহাঞি ডাঙৰীয়াৰ সভাপতিত্বত এখন আহোম সভা বহল আয়োজনেৰে পতা হয়। সভাত তেজপুৰ অঞ্চলৰ সদৌ আহোম জাতিৰ প্ৰতিনিধি সকলোৱাই যোগ দিছিল ; তাৰ ভিতৰত

৺নাৰায়ণচন্দ্ৰ বৰগোহাঞি, ৺মহীধৰ হাতীবৰুৱা, ৺শশধৰ গোহাঞি ফুকন, শ্ৰীযুত নাথৰাম গগৈবৰুৱা, এই সকলৰ নাম বিশেষকৈ লেখত লবলগীয়া। এই অভাজনকে (শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা) সেই সভাৰ নিগাজী সভাপতি পতা হয়। তেতিয়াৰেপৰা, ন-দুৱাৰ আহোম-সভা, ছয়-দুৱাৰ আহোম-সভা আৰু চাৰ-দুৱাৰ আহোম-সভা, এই কেইখন শাখা সভাৰ সহযোগিতাৰে সৈতে তেজপুৰৰ দৰং জিলা আহোম-সভাই আহোম-জাতিৰ উন্নতি বিধায়ক সকলো বিষয়তে আগবঢ়ুৱাৰ দৰে আগবাঢ়ি আহি আছে। এয়ে দৰং জিলা আহোম এচোচিয়েচনৰ আঁতি-গুৰি।

(৪) ইং ১৯০৯ চনত, যোৰহাট টাউনত ৰাজকুমাৰ ৺চন্দ্ৰনাৰায়ণ সিংহ আৰু শ্ৰীযুত মালভোগ বুঢ়াগোহাঞিদেৱৰ মুখীয়া উদ্যমত, ৺লোকেশ্বৰ সিংহ বুঢ়াগোহাঞি ডাঙৰীয়াৰ সভাপতিত্বত এখন আহোম সভা পতা হয়। এই সভাত স্থানীয় জাতিবৰ্গৰ প্ৰতিনিধি সমজুৱাত বাজেও, শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা আৰু ৺কণকচন্দ্ৰ গগৈ বি-এল উকীলদেৱে সৰ্ব্বতোভাৱে সহায় কৰিছিল। ৰাজকুমাৰ ৺চন্দ্ৰনাৰায়ণ সিংহ আৰু শ্ৰীযুত মালভোগ বুঢ়াগোহাঞি এই সভাৰ ক্ৰমে সভাপতি আৰু সম্পাদক নিগাজীকৈ মনোনীত হয়। তেতিয়াৰেপৰা ভালেমান বছৰ এই সভা টনকিয়াল ভাৱে জিলিকি আহিছে। এয়ে যোৰহাট জিলা আহোম এচোচিয়েচনৰ আঁতি-গুৰি।

(৫) শিৱসাগৰত আদি সভা প্ৰতিষ্ঠিত হোৱাৰপৰা ১৭ বছৰমান যোৱাত, ৺লক্ষীকান্ত বৰগোহাঞি, ৺বলোৰাম বৰগোহাঞি, ৺দুৰ্গানাথ বুঢ়াগোহাঞি, ৺কন্দৰ্পেশ্বৰ গোহাঞি ফুকন প্ৰমুখ্যে জনচাৰেক জাতিহিতৈষী পুৰুষৰ উদ্যোগত নগাওঁ নগৰত স্বতন্ত্ৰবীয়াকৈ এখন আহোম সভা প্ৰতিষ্ঠিত হয়। উল্লিখিত উদ্যোক্তাৰ বাই দুজনৰ পৰলোক হোৱাৰ পাচতো ভালেমান দিনলৈকে শ্ৰীযুত অভয়কান্ত বুঢ়াগোহাঞি, শ্ৰীযুত উমাকান্ত বৰগোহাঞি প্ৰমুখ্যে পৰবৰ্ত্তী উদ্যোগী জাতিসকলৰ যত্নৰ ফলস্বৰূপ এই সভাই ৰক্তভাৱে সৈতে জাতিহিতকৰ কাৰ্য্যত সুখ্যাতিৰে সৈতে আগবাঢ়ি আহি আছে। এয়ে নগাওঁ জিলা আহোম এচোচিয়েচনৰ আঁতি-গুৰি।

(৬) নগাৱঁৰ পাচতে, শ্ৰীযুত জিবেশ্বৰ গগৈ মৌজাদাৰ, শ্ৰীযুত কণকেশ্বৰ বৰগোহাঞি মৌজাদাৰ, শ্ৰীযুত উমেশ্বৰ গোহাঞি প্ৰভৃতি আহোম জাতি-নেতাসকলৰ উদ্যোগত গোলাঘাটত এখন আহোম সভা প্ৰতিষ্ঠিত হয়। তাৰ পাচত, শ্ৰীযুত মহেন্দ্ৰনাথ বুঢ়াগোহাঞি এম-এ, বি-এল, শ্ৰীযুত ক্ষীৰেশ্বৰ গগৈ প্ৰমুখ্যে ডেকা আহোম নেতাসকলৰ যত্নৰ ফলস্বৰূপ এই সভাই দক্ষভাৱে সৈতে কাৰ্য্য চলাই আহিছে। এয়ে গোলাঘাট আহোম এচোচিয়েচনৰ আঁতি-গুৰি।

(৭) শিৱসাগৰত মূল সভা প্ৰতিষ্ঠিত হোৱাৰপৰা কুৰি বছৰমানৰ অন্তত, শ্ৰীযুত হৰিকান্ত গগৈ, শ্ৰীযুত কণকেশ্বৰ গগৈ প্ৰভৃতি জনদিয়েক উৎসাহী জাতিৰ উদ্যোগত নাজিৰাত এখন আহোম সভা স্বতন্ত্ৰবীয়াকৈ স্থাপন কৰা হয়। এই সভাই এসময়ত আহোম জাতিৰ উন্নতি-বিধায়ক গোটাদিয়েক মহৎ অনুষ্ঠানত আগ বাঢ়িছিল। আজি ভালেমান দিন সেই সভাৰ কাৰ্য্যক্ষেত্ৰত দেখা নাই। মেচাগড় আহোম সভাৰ লগত নাজিৰা আহোম সভা চামিল হয়। এয়ে নাজিৰা-মেচাগড় আহোম এচোচিয়েচনৰ আঁতি-গুৰি।

(৮) ইং ১৯১৫ চনত, শ্ৰীযুত কৃষ্ণচন্দ্ৰ চেটিয়া বৰুৱা, শ্ৰীযুত জয়চন্দ্ৰ গগৈ ফুকন, শ্ৰীযুত গোপাল বৰুৱা, ৺ভদ্ৰাম ৰাজখোৱা ডাঙৰীয়া প্ৰমুখ্যে ভালেমান আহোম জাতি-হিতৈষী উদ্যোক্তাৰ উদ্যোগত ডিব্ৰুগড়ত বিশেষ উলাহেৰে এখন আহোম-সভা প্ৰতিষ্ঠা কৰা হয়। তেতিয়াৰেপৰা এই সভাই আহোম সম্প্ৰদায়ৰ উন্নতিকল্পে সাধ্যানুসাৰে কাৰ্য্যতৎপৰ হৈ আহিছে। এয়ে ডিব্ৰুগড় জিলা আহোম এচোচিয়েচনৰ আঁতি-গুৰি।

(৯) ডিব্ৰুগড় আহোম সভা প্ৰতিষ্ঠিত হোৱাৰ দুচাৰি বছৰতে, ইং ১৯১৭ চনত, শদিয়াতো শ্ৰীযুত গোপালচন্দ্ৰ বৰুৱা, শ্ৰীযুত মহেশ্বৰ গোহাঞি প্ৰমুখ্যে জনদিয়েক উদ্যোগী জাতিৰ যত্নত এখন আহোম সভা স্থাপিত হৈছিল। ভালেমান দিনৰপৰা সেই সভাৰ খবৰাখবৰ নাই; সম্প্ৰতি তাৰ অস্তিত্ব কি ভাৱে বৈছেহি তাৰ কাৰ্য্যক্ষেত্ৰ নিৰ্ণয়

পোৱা নাই এখোন। এয়ে শদিয়া আহোম এচোচিয়েচনৰ আতি-গুৰি।

(১০) আজি দহ বছৰমান হৈছে, উত্তৰ-গুৱাহাটীৰ বংমহলত এখন আহোম সভা প্ৰতিষ্ঠিত হয়। উত্তৰ আৰু দক্ষিণ দুয়োপৰীয়া উদ্যোগী জাতি-বৰ্গৰ পুৰুষাৰ্থৰ ফলত অলপ দিনৰ ভিতৰতে এই সভা চলকিয়াল হৈ উঠে। এই সভাত সদৌ কামৰূপ জিলাৰ আহোম জাতিবৰ্গৰ যোগ আছে। এয়ে কামৰূপ জিলা আহোম এচোচিয়েচনৰ আতি-গুৰি।

এই দহখন স্বতন্ত্ৰীয়া থাই আহোম সভা। এই-বিলাকৰ লগে-লগে আৰু আগা-পিচাকৈ ভিন্-ভিন্ কেন্দ্ৰত ভিন্-ভিন্‌কৈ ভালেমান শাখা আহোম-সভা সংগঠিত হয়; তাৰ ভিতৰত এইবিলাক পুৰণি আহোম সভাৰ নাম লেখত লবলগীয়া:—জামিৰা, মৰাণ, ঢকুৱাখনা, মেৰমুখ, বকটা, শলগুৰি, কেন্দুগুৰি, ঝাঁজী, মেলেং, মৰঙ্গি, মৰিগাওঁ, বৰপথাৰ, চাৰ-দুৱাৰ, ন-দুৱাৰ, ছয়-দুৱাৰ ইত্যাদি।

ইং ১৯১০ চনৰপৰা "অসম এচোচিয়েচন"ৰ আৰ্হিৰে অসমৰ স্বতন্ত্ৰীয়া আহোম সভাবিলাকৰ নিজ নামে-নামে "আহোম এচোচিয়েচন" নামকৰণ কৰা হয়; আৰু "অসম এচোচিয়েচন"ৰ কাৰ্য্যপ্ৰণালী অনুসৰি "সদৌ অসম আহোম এচোচিয়েচন" বিলাকৰ আচল লক্ষ্য একেটাকে ৰখাৰ উদ্দেশ্যে, সিবিলাকৰ নিজ নিজ স্বতন্ত্ৰীয়া নিয়ম-প্ৰণালীৰেই সদৌকে এজন জেনেৰেল চেক্ৰেটৰীৰ কৰ্তৃত্বত ৰখা হয়। সেই কালত "অসম এচোচিয়েচন" আৰু "আহোম এচোচিয়েচন" ক্ৰমে সদৌ অসমীয়াৰ আৰু সদৌ আহোম সম্প্ৰদায়ৰ বাজহাড় যেন জনশক্তি হৈ জিলিকি আছিল; সেই জিলিকনিয়ে বৃটিচ্ গৱৰ্ণমেণ্টৰ সহানুভূতিপূৰ্ণ সুদৃষ্টি আকৰ্ষণ কৰে। তাৰ নিদৰ্শন স্বৰূপ, অদ্যাপি ৰাজকীয় বিবিধ অনুষ্ঠান আৰু শাসন-সংক্ৰান্ত বিষয়ত এই দুই এচোচিয়েচনৰ অভিমত সাদৰে আহ্বান কৰা হয়; আৰু গৱৰ্ণমেণ্টে গেজেট, ৰিপৰ্ট, চৰ্কাৰী কাকত-পত্ৰাদিৰ নকল যোগান দি থাকে। সেই বাবে আমি অন্তৰেদেতে গৱৰ্ণমেণ্টৰ শলাগ লৈছোঁহক।

সদৌ অসম আহোম এচোচিয়েচন কন্‌ফাৰেঞ্চ বা সন্মিলনী।—ইং ১৯১৫ চনৰপৰা আজিলৈকে "সদৌ অসম আহোম এচোচিয়েচন কন্‌ফাৰেঞ্চ" বা "সদৌ অসম আহোম সভা সন্মিলনী" পতাৰ ৰীতি ২৫ বছৰমান চলিছে। কিন্তু, স্বতন্ত্ৰীয়া আহোম এচোচিয়েচনবিলাকৰ আৰ্থিক অৱস্থা চলকিয়াল নোহোৱা হেতুকে কন্‌ফাৰেঞ্চ বা সন্মিলনী বছৰি পাতিব পৰা নাই। বিশেষ, আগেয়ে সততে "অসম এচোচিয়েচন"ৰ শকত গাতে গঢ়িলা হৈ তাৰ বছেৰেকীয়া কন্‌ফাৰেঞ্চ উৎসৱৰ লগে-লগেই আহোম কন্‌ফাৰেঞ্চ পতা হৈছিল; পিচে, এচোচিয়েচনৰ অৱস্থা ক্ৰমাৎ পৰি অহাৰ লগতে আহোম কন্‌ফাৰেঞ্চৰ বৈঠকৰ সংখ্যাও অনুৰূপভাবী কলকবল টুটি আছিল। তলত উদ্ধৃত কৰা সদৌ অসম আহোম কন্‌ফাৰেঞ্চ বা সন্মিলনীৰ ভিতৰৰ খনচাৰেক কন্‌ফাৰেঞ্চৰ চমু চমু বিৱৰণী তলত দিয়া যায়। যেনে,—

(১) সদৌ অসম আহোম এচোচিয়েচন সন্মিলনীৰ পোন্-প্ৰথম বৈঠক ইং ১৯১৫ চনৰ ১৩ আগষ্ট তাৰিখে যোৰহাটত বহে। সেই সন্মিলনীৰ সভাপতিৰ বিষয়ৰবীয়া বাব পাইছিল এই অভাজনেই (পোন্-প্ৰথম অসম কাউন্সিলৰ আহোম প্ৰতিনিধি মেম্বৰ অনৰেবোল শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা)। সেই সন্মিলনীত শদিয়াৰপৰা গুৱাহাটীলৈকে প্ৰায় সদৌ ঠাইৰ প্ৰতিনিধি সমজুৱা সমবেত হৈছিল। আৰু, সেই প্ৰথম বৈঠকত আহোম সম্প্ৰদায়ৰ উন্নতিবিধায়ক ভালেমান প্ৰস্তাৱ গৃহীত হৈছিল। বৃটিচ্ গৱৰ্ণমেণ্টে অনুগ্ৰহ কৰি সেইবোৰ সিদ্ধান্তৰ লাগতিয়াল কিছুমান ফলপ্ৰদ কৰি, আহোম সম্প্ৰদায়ৰ শলাগ গ্ৰহণ কৰিছিল।

(২) প্ৰথমবাৰৰপৰা পাঁচমাহমানৰ পাচতে, আহোম এচোচিয়েচন সন্মিলনীৰ দ্বিতীয় বৈঠক বহে ডিব্ৰুগড়ত, ইং ১৯১৫ চনৰ ২৯ ডিচেম্বৰ তাৰিখে। এই বৈঠক "অসম এচোচিয়েচন"ৰ বছেৰেকীয়া কন্‌ফাৰেঞ্চৰ গাত গঢ়িলা হৈ বহিছিল। সেই দুচলৰ অৰ্থেই বছেৰেক পূৰ সৌ দুইবছৰ আহোম সন্মিলনীৰ এই দ্বিতীয় বৈঠক পতা হয়। এই বৈঠকতো এই অভাজনকে (অনৰেবোল শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা), অসম কাউন্সিলৰ আহোম প্ৰতিনিধি মেম্বৰ হেতুকে সভাপতি পতা হৈছিল। এই সন্মিলনীত

মৰাণ-মটক খেলৰ আহোম জাতি আৰু শদিয়াৰ খামতী ৰজাদেৱ প্ৰমুখ্যে তালেমান বিশিষ্ট লোকে যোগ দিছিল; আৰু আহোম জাতিৰ উন্নতিমূলক তালেমান সাৰুৱা বিষয়ক আলোচনা কৰি লাগতিয়াল সিদ্ধান্ত প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল।

(৩) আহোম সন্মিলনীৰ দ্বিতীয় বৈঠকৰ পাচৰপৰা দুবছৰ তাৰ বছেৰেকীয়া বৈঠক পাতিব পৰা নহৈছিল। কাৰণ, সেই দুবছৰত 'অসম এচোচিয়েচন'ৰ বছেৰেকীয়া কন্‌ফাৰেন্স বহা নাছিল। তাৰ পাচত, ইং ১৯১৭ চনত, শিৱসাগৰ টাউনত, পোন্-প্ৰথম সাহিত্যিক সন্মিলনী আৰু অসম এচোচিয়েচন কন্‌ফাৰেন্সৰ কাৰ্য্য সমাপ্তিৰ পিচদিনাৰ-পৰা, ৩০ আৰু ৩১ ডিচেম্বৰ তাৰিখে, মেচাগড়ৰ মুকলি পথাৰত প্ৰকাণ্ড মণ্ডপৰ তলত আহোম এচোচিয়েচন সন্মিলনীৰ তৃতীয় বৈঠক হয়। এই বৈঠকত তেতিয়াৰ যোৰহাটৰ উকীল পাচত (মুন্সিফ্) ৺কণকচন্দ্ৰ গগৈ বি, এল, দেৱে সভাপতিৰ আসন গ্ৰহণ কৰিছিল। সন্মিলনীত সদৌ শিৱসাগৰ মহকুমাৰ অনেক আহোম জাতি সমবেত হোৱাৰ উপৰি, শদিয়াৰ খাম্‌তী ৰজাদেৱ, ডিব্ৰুগড়, উত্তৰলক্ষীমপুৰ, যোৰহাট, গোলাঘাট, নগাওঁ, গুৱাহাটী আৰু তেজপুৰৰ প্ৰতিনিধি সমজুৱাই যোগদান কৰিছিল। এই বৈঠকত আহোম সম্প্ৰদায়ৰ আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক বিষয়ক তালেমান সাৰুৱা প্ৰস্তাৱৰ মীমাংসা গৃহীত হৈছিল।

(৪) সদৌ অসম আহোম এচোচিয়েচন সন্মিলনীৰ চতুৰ্থ বৈঠক ঠিক বছেৰেকীয়া হিচাপেই, ইং ১৯১৮ চনৰ ৩০ আৰু ৩১ আগষ্ট তাৰিখে, তেজপুৰত শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা জেনেৰেল চেক্ৰেটৰীৰ চ'ৰাত বহে। এই বৈঠকত ৺হিতেশ্বৰ বৰবৰুৱাদেৱ সভাপতিৰ আসনত বহিছিল। এই সন্মিলনীত ডিব্ৰুগড়, জাঁজিৰা, উত্তৰ-লক্ষীমপুৰ, শিৱসাগৰ, যোৰহাট, গোলাঘাট, নগাওঁ, চাৰদুৱাৰ, নদুৱাৰ, ছয়দুৱাৰ এই কেইখন আহোম সভাৰ প্ৰতিনিধি সমজুৱাসকলে যোগদান কৰাৰ উপৰি, বহু সংখ্যক স্থানীয় জাতিবৰ্গ সমবেত হৈছিল। এই বৈঠকত আহোম সাম্প্ৰদায়িক বিবিধ লাগতিয়াল বিষয়ৰ বিশদ আলোচনাত বাজেও, গোটাদিয়েক গুৰুতৰ ৰাজনৈতিক বিষয়ৰ মীমাংসা গ্ৰহণ কৰা হয়; তাৰ ভিতৰত অসম কাউন্সিলত আহোমক সুকীয়া ইলেকটৰেট দান, নাইবা উচিত সংখ্যক আচুতীয়া আসন দিবলৈ বুলি গৱৰ্ণমেণ্টৰ ওচৰত আবেদন কৰিবলৈ স্থিৰ কৰা হয়। তাত বাজেও, আহোমৰ শিক্ষা, চাকৰি, হাইস্কুলৰ মেনেজিং কমিটী, মিউনিচিপাল বোৰ্ড, লোকাল বোৰ্ডত প্ৰতিনিধিত্ব সবল কৰিবলৈ গোটাচাৰেক লাগতিয়াল ব্যৱস্থাৰ বিধান দিয়া হয়। সেইবিলাক সিদ্ধান্তৰ নকল গৱৰ্ণমেণ্টলৈ যথাসময়ত পঠিওৱাৰ ফলত, তাৰ তালেখিনি কাৰ্য্যত ফলিয়ায়।

(৫) ইয়াৰ পাচত, আকৌ তিনি বছৰ আহোম সন্মিলনী নাই। আন ঠাইত নোহোৱা দেখি, পুনৰপি তেজপুৰতে পাতিবলৈ যো-জা চলিছিল, এনেতে নাজিৰা ৰৰ উৎসাহেৰে আগ বাঢ়ি আহিল। সেই সময়ৰ আহোম যুৱকসকলৰ, বিশেষকৈ শ্ৰীযুত কণকেশ্বৰ গগৈদেৱৰ পুৰুষাৰ্থৰ ফলত, সদৌ অসম আহোম এচোচিয়েচন সন্মিলনীৰ পঞ্চম বৈঠক বৰ সমাৰোহেৰে নাজিৰাত পতা হয়। সেই বৈঠকত ৰায়বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই সভাপতিৰ আসন শোভা কৰিছিল। ইয়াত গোটাচেৰেক আহোম জাতিৰ দৈহিক, নৈতিক, আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক উন্নতিবিধায়ক লাগতিয়াল প্ৰস্তাৱ গৃহীত হয়।

(৬) পঞ্চম বৈঠকৰ পাচত, আকৌ তালেমান দিনলৈ আহোম এচোচিয়েচনৰ কনফাৰেন্স বা সন্মিলনী পাতিব পৰা নহৈছিল। এই ব্যৱধানৰ কাল পাঁচ বছৰ। বিবিধ অভাবনীয় বিপৰ্য্যয়ৰ উপৰি, এই পাঁচ বছৰৰ ভিতৰত বিগত ৰাজনৈতিক অসহযোগিতা বা Non-Co-Operation আন্দোলনে সদৌ অসমৰ বাহ্যিক আৰু আভ্যন্তৰিক ভাৱ-গতিৰ অপূৰ্ব্ব পৰিবৰ্ত্তন ঘটোৱাটো তাৰ ভিতৰত এটা প্ৰধান কাৰণ। সি যি হওক, ইং ১৯২৬ চনত বহা "সদৌ অসম সাহিত্যিক সন্মিলনী"ৰ গাত গঁঠিলা লৈ, ৩০ ডিচেম্বৰ তাৰিখে, সাহিত্যিক সন্মিলনীৰ মণ্ডপতে, "সদৌ অসম আহোম এচোচিয়েচন সন্মিলনীৰ ষষ্ঠ বৈঠক ৺হিতেশ্বৰ বৰবৰুৱাদেৱৰ সভাপতিত্বত নগাওঁত পতা হয়। সাহিত্যিক

সন্মিলনীত উপস্থিত হোৱা কেইটামান কেন্দ্ৰৰ কেন্দ্ৰসমান আহোম প্ৰতিনিধি সমন্বুৱাত বাজে সৰহভাগ অভ্ৰতবীয়া আহোম এচোচিয়েচনৰ প্ৰতিনিধিয়ে এই বৈঠকত যোগ দিয়া নাছিল; আন কি, স্থানীয় আহোম জাতিৰ জনসংখ্যাও নিচেই অলপীয়া হৈছিল। তথাপি, নাম-নিমিত্তকৈ এই বৈঠকৰ কাৰ্য্য বহু কষ্টেৰে সমাধা কৰা হয়। ইয়াত বিশেষ লাগতিয়াল প্ৰস্তাবাদি গৃহীত হোৱা নাই। এই বৈঠকতে জনদিয়েক আহোম যুৱকে, আহোম এচোচিয়েচন আৰু আহোম সন্মিলনীৰ অনৱস্থকতা দেখুৱাই, অথালি-পথালিকৈ আমনি কৰি সমবেত জাতি-বৰ্গৰ মনত বিষাদ লগাই উৎসাহ ভঙ্গ কৰে। সেই দিন ধৰি আহোম এচোচিয়েচনৰ কাৰ্য্যপদ্ধতিৰ বিৰুদ্ধবাদী জাতি দল এটা গঠিত হৈ, সিবিলাকে আহোম এচোচিয়েচনৰ আগত তেটা আৰু পিচত খোচা দিবলৈ ধৰিলে। তাৰ অৱশ্যম্ভাৱী ফলস্বৰূপে, আজিকালি সৰ্ব্বসাধাৰণ বাইজে আৰু গৱৰ্ণমেণ্টে আহোম এচোচিয়েচনক আগৰ দৰে গ্ৰাহ্য নকৰা হৈছে।

(৭) নগাঁও বৈঠকত হঠাতে আৰু অযাচিতে অবাঞ্ছনীয় প্ৰতিবন্ধক পোৱাৰ পৰা একেবাহে তিনিবছৰ কাল "সদৌ অসম আহোম এচোচিয়েচন সন্মিলনী"ৰ নাম লবলৈকো হতাশে খুন্দা মাৰি ধৰাৰ নিচিনা হোৱাত, এই জাতীয় মহৎ অনুষ্ঠানটি ঠিহিবা লাগি বৈছিল। তাৰ পাচত, জেনেৰেল চেক্ৰেটৰীৰ উদ্‌গনিৰ ফলস্বৰূপে ডিব্ৰুগড় জিলা আহোম এচোচিয়েচনে সন্মিলনী আহ্বান কৰিবলৈ কুৰুংকাৰাং কৰিছিল, এনেতে শিৱসাগৰ উলাহেৰে আগ বাঢ়িল। সেই উদ্দেশে শিৱসাগৰ জিলা এচোচিয়েচনৰ প্ৰতিনিধি স্বৰূপে ৺ভুবনচন্দ্ৰ গগৈদেৱে সদৌ অসমৰ আহোম কেন্দ্ৰবোৰলৈ জাননী প্ৰচাৰ কৰিলে, আন কি, সেই আগন্তুক সন্মিলনীৰ কাৰণে এই অভাজনকে সভাপতি নিৰ্ব্বাচন কৰা পৰ্য্যন্ত হৈ উঠিল। পিচে, কি কাৰণত কব নোৱাৰোঁ, কাৰবাৰীয়ে নিটাল মাৰিলে; শেহান্তত নিৰ্ব্বাচিত সভাপতিয়ে সুধিও তাৰ সম্ভেদ নোপোৱা হল। তাৰপৰা আকৌ দুবছৰমান আহোম কন্‌ফাৰেন্সৰ বৈঠক হুঁহকি গৈ আছিল, এনেতে কামৰূপ জিলা আহোম এচোচিয়েচনে "সদৌ অসম আহোম এচোচিয়েচন সন্মিলনী" আহ্বান কৰি যথাসময়ত জেনেৰেল চেক্ৰেটৰীক জনায়। কামৰূপ এচোচিয়েচনৰ সেই আহ্বান আগ্ৰহেৰে গ্ৰহণ কৰি ইং ১৯২৮ চনৰ ২৫ আৰু ২৬ ডিচেম্বৰ তাৰিখে, গুৱাহাটীৰ ৰাজবাৰী টোলত, পৰম উলাহেৰে আহোম সন্মিলনীৰ ৭ম বৈঠক পতা হয়। এই বৈঠকৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ৺ৰাজকুমাৰ সিংহৰ গোহাঞিদেৱে আৰু উত্তৰ গুৱাহাটী বংশহলৰ আহোম সভাৰ অহো পুৰুষাৰ্থৰ ফলত সন্মিলনীৰ কাৰ্য্য বিপুল আয়োজনেৰে আগ বাঢ়ে। কিন্তু, সিমানতো সভাপতি নিৰ্ব্বাচন-বিভ্ৰাট ঘটি উৰ্দ্ধোকাসকল মহা আহুকালত পৰিছিল, অৰ্থাৎ একাদিক্ৰমে পাঁচজন উপযুক্ত আহোম জাতিক সভাপতি মনোনীত কৰিও কৃতকাৰ্য্য হব পৰা নহৈছিল। সদৌশেহত, আগবঢ়া অনুগত কৰা দিধানেৰে, জেনেৰেল চেক্ৰেটৰীৰ মুৰতে (এই অভাজন) ভৰাৰ উপৰি ভৰা দি, তেওঁকে সভাপতি মনোনীত কৰি লোৱা হয়। তেৱেঁ অন্য উপায় নেদেখি, এবাতিৰ ভিতৰতে মৌখিক অভিভাষণেৰে সান্ত্ব হৈ, সেই গুৱাহাটী আহোম সন্মিলনীৰ সভাপতিৰ বাৰ চম্ভালি দিয়ে। এই বৈঠকত ভালেমান লাগতিয়াল প্ৰস্তাৱৰ সিদ্ধান্ত গৃহীত হয়। তাৰ ভিতৰত, আগন্তুক "ৰিফৰ্ম কাউন্সিল"ত আহোম সম্প্ৰদায়ৰ কাৰণে উচিত সংখ্যক আচুতীয়া আসন পাবলৈ বুলি বিলাতত বহিবলগীয়া সেই সময়ৰ আগন্তুক 'Round-Table Conference' বা মেৰচ'ৰা-মেলত আবেদন দাখিল কৰিবলৈ স্থিৰ হোৱা প্ৰস্তাৱটোৱেই প্ৰধান। আৰু, ঠিক সেই সময়তে, সেই সম্পৰ্কতে, "চাইমন কমিচন" অসমলৈ অহাৰ ছেগ ধৰি, সেই কমিচনলৈ এই আহোম সন্মিলনীৰ পৰা সেই মৰ্ম্মে গৃহীত হোৱা ৰিজলিউচন এটা দিল্লীলৈ পঠোৱা হৈছিল। কিন্তু, আচৰিত আৰু দুখৰ বিষয় যে, এতিয়া তাৰ ওং-সূত্ৰও বৰ্ত্তমান গৱৰ্ণমেণ্টৰ চেক্ৰেটৰিয়েট বা ধাই অফিচত পাবলৈ নোহোৱা হৈছে!

(৮) সদৌ অসম আহোম এচোচিয়েচন সন্মিলনীৰ ৮ম বৈঠক ১৯৩৫ চনৰ ২০ আৰু ২১ এপ্ৰিল তাৰিখে ডিব্ৰুগড়ত ৰায়বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ সভা-পতিত্বত বহে। পূৰ্ব্ববৰ্ত্তী গুৱাহাটী কন্‌ফাৰেন্স আৰু এই

কনফাৰেঞ্চৰ ব্যৱধানৰ কাল সাত বছৰ। যি কাৰণত লণ্ডন আৰু গুৱাহাটী কনফাৰেঞ্চৰ ব্যৱধান কাল পাঁচ বছৰীয়া দীঘলীয়া হৈছিল, সেই নিচিনা কাৰণতেই এই ব্যৱধান সাত বছৰীয়াকৈ দীঘলীয়া হব লগীয়াত পৰিছিল। সি যি হওক, "আপদেও সম্পদ চপায়", আহোম এচোচিয়েচনৰ কপাল ভাল, অলপ আগতে যোৰহাটত "বিপুল্য স্মৃতি" মূলক আহোম বিদ্বেষী ভাৱৰ পুথি প্ৰচাৰৰ প্ৰতিকাৰৰ আন্দোলনে সদৌ অসমৰ আহোমবৰ্গৰ প্ৰাণত আহোম সন্মিলনীৰ বৈঠক এটা অনতিপলমে পতা প্ৰবল ইচ্ছাৰ উদ্ৰেক কৰায়, একে সময়তে, সেই অৰ্থে ডিব্ৰুগড় আহোম এচোচিয়েচন আৰু যোৰহাট আহোম এচোচিয়েচন দুয়ো উলাহেৰে আগ বাঢ়িছিল। পিচে, ডিব্ৰুগড় এচোচিয়েচনৰ আহ্বান আগ হোৱাত ডিব্ৰুগড়েই আগবাঢ়নি লাভ কৰিলে। সেই সন্মিলনীতে সদৌ অসম আহোম এচোচিয়েচনৰ গঠন-মূলক (Constitutional) নীতিৰ পৰিবৰ্ত্তন ঘটাই কংগ্ৰেচ নীতিৰ অনুবৰ্ত্তী কৰিবলৈ ভীষণ আন্দোলনৰ সৃষ্টি হয়, আৰু সেই বৈঠকৰ দিনৰপৰাই আহোম সভা আৰু আহোম সন্মিলনীৰ ওপৰত কংগ্ৰেচী আধিপত্য চলাৰ সূত্ৰপাত হয়। ফলিতাৰ্থত, আহোমৰ সাম্প্ৰদায়িকতা ম্লান পৰাৰ লগে লগে, আহোমক বৃটিচ্ গৱৰ্ণমেণ্টে দিয়া ৰাজকীয় অনুগ্ৰহ (Privileges) এটি-এটিকৈ সমূলকে হেৰাবলৈ ধৰিলে।

আয়-ব্যয় আৰু পুঁজি—এই সম্পৰ্কত আনৰ সভা, সমিতি, সন্মিলনী আদিৰ দৰে কবলৈ আমাৰ বিশেষ একো নাই। আমাৰ পুঁজি শূন্য! আমাৰ আয়-ব্যয়ৰ ৰবতো এটা শূন্য দি দেখুৱালেই যথেষ্ট হয়। আহোম সভাৰ জন্মৰেপৰা সদৌ অসম আহোম এচোচিয়েচন সন্মিলনীৰ সদৌশেহৰ বৈঠকলৈকে বহুবাৰ প্ৰস্তাৱ আগ বঢ়োৱা এটা "আহোম চেণ্ট্ৰাল বেংক" বা "আহোম কেন্দ্ৰীয় পুঁজি পাতিৰ পৰা নহল!

এইখিনিতে কোৱা যায় যে, গুৱাহাটী আহোম সন্মিলনীৰ সিদ্ধান্ত অনুসৰি, প্ৰাদেশিক বিফৰ্ম অসম কাউন্সিলত আহোম সম্প্ৰদায়ক অন্ততঃ সাতখনমান আছুতীয়া আসন দিবলৈ খুলি দাবী কৰি, যেৰচ'ৰা-যেল বা Round Table Conference-ৰ চেক্ৰেটৰীলৈ বিজুলী-বাতৰি (Cable) দিয়া হয়; যথা সময়ৰ ভিতৰত তাৰ কোনো সম্বিধান নাপাই, বিলাতৰ প্ৰাইম্ মিনিষ্টাৰলৈ আৰু তেওঁৰ চেক্ৰেটাৰী ঘৰ দেই ভাৰত মন্ত্ৰীলৈ সুকীয়া সুকীয়াকৈ দুটা কেবোল টেলিগ্ৰাম দিয়া হয়; তাৰো কোনো সম্বিধান নোপোৱাত Round Table Conference-ত অসমৰ প্ৰতিনিধি মিঃ চন্দ্ৰধৰ বৰুৱালৈ সুকীয়াকৈ বিজুলী বাতৰি (Cable) দিয়া হয়, আৰু এই শেহৰ বাৰত ডাকত এই সম্বিধান পোৱা গল :—I am in receipt of your cable. I am afraid, some sort of communal representation will be retained. The Mahamadans would not give it up, and so the other minorities also demanded it I have therefore put your claim this morning before the conference and it has been noted" কিন্তু, আহোমৰ সৌভাগ্য নে দুৰ্ভাগ্যৰ ফলত সেই সম্বিধান দান কৰাৰ আগত ধনৰ টোপোলা পেলাই দিয়াৰ নিচিনা হে হল। অৰ্থাৎ, প্ৰথম Round Table Conference-ৰ সামৰণত, আমাৰ অসম-প্ৰতিনিধি মিঃ বৰুৱাই ঘৰলৈ উলটি আহি যোৰহাটত এখন ৰাজহুৱা সভাত বক্তৃতা দিওঁতে কথা-প্ৰসঙ্গত যেতিয়া আহোম সম্প্ৰদায়ৰ দাবী Round Table Conference-ৰ আগত দাখিল কৰি বিবেচনাধীনকৈ লিপিবদ্ধ কৰোৱাৰ কথা প্ৰকাশ কৰিলে, তেতিয়া তেওঁক উপস্থিত সমজুৱাই কেইওফালৰপৰা আক্ৰমণ কৰিবলৈ ধৰিলে; তাৰ ভিতৰত আহোম জাতিৰ শিক্ষিত লোক জনদিয়েকো অগ্ৰগণ্য হৈ জিলিকিছিল। বপুৰি বৰুৱাদেৱে, বিমুঢ় হৈ, সৰ্ব্বদোষ আহোম এচোচিয়েচনখিলাকৰ জেনেৰেল চেক্ৰেটৰী এই অভাজনৰ গাত সানি থৈ, ৰাউণ্ড টেবোল কনফাৰেঞ্চৰ দ্বিতীয় বৈঠকত সংশোধন কৰিবলৈ প্ৰতিশ্ৰুতি দি থলে। সকল সিমানেই নহয়, আহোম জাতিৰ সেই বিষয়ক বিৰুদ্ধবাদী জনদিয়েকে কাকতে-পত্ৰে জেনেৰেল চেক্ৰেটৰীকো সেই বাবে বিষয়কৈ আক্ৰমণ কৰিবলৈ বাকী নাৰাখিলে। ফলত এই হলগৈ যে, Round Table Conference-এ আহোম সম্প্ৰদায়ৰ সেই সৰ্ত্ত-দাবী অগ্ৰাহ্য

কৰিলে ; এফালে আহোমৰ সেই দাবী বিৰুদ্ধ আন্দোলনেকো পথ-ৰোধ ! ফলত, আহোম-চুবুৰি পুনৰপি খহকাত খাঁই পৰাৰ আশঙ্কা মিলিছে।

আৰু আহোম এচোচিয়েচনৰ আহোম সভা পোন্-প্ৰথমে প্ৰতিষ্ঠিত হোৱাৰপৰা ৰাজ্যভাগত 'আহোম এচো-চিয়েচন' নামে ঠন্ ধৰি উঠালৈকে, সেই হোৱাত, এই জাতীয় অনুষ্ঠানৰ দ্বাৰাই পতিত আহোম সম্প্ৰদায়ে মৃতপ্ৰায় অৱস্থাৰপৰা সঞ্জীৱনী শক্তি লাভ কৰি উঠি তাকেমানলৈকে উন্নতি লাভ কৰিলে। তাৰ ধাই ধাই সোণাল এই কেইটা,—অসমৰ স্কুল-কলেজত পঢ়িবলৈ আহোম ছাত্ৰৰ ফ্ৰি-ষ্টুডেণ্টচিপ, অৰ্থাৎ মাচুল নোহোৱাকৈ পোৱা স্বৰ্ত্ত লাভ ; চৰকাৰী চাকৰি দানত আহোম প্ৰাৰ্থীক বিশেষ বিবেচনাত আগবাছনি দান কৰা লাভ, মিউনিচিপাল বোৰ্ড, লোকাল বোৰ্ড, হাইস্কুলৰ মেনেজিং কমিটীত আহোম প্ৰতিনিধি নমিনেটেড মেম্বৰ লাভ ; অসম কাউন্সিলত নমিনেটেড আহোম প্ৰতিনিধি মেম্বৰৰ আসন লাভ ; সামাজিক মান-মৰ্য্যাদাদিৰ পুনৰুদ্ধাৰ ; ধৰ্ম্ম সংক্ৰান্ত আচাৰ-ব্যৱহাৰত সদৌ হিন্দু সমাজৰ ওচৰত ক্ৰমাৎ আদৰ-সন্মান লাভ ইত্যাদি। কিন্তু তাৰ পাচৰপৰা, ওপৰত উল্লেখিয়াই অহা আহোমৰ আত্মদ্ৰোহিতাৰ ফলত, সেইবোৰ ৰাজনৈতিক স্বৰ্ত্ত-অনুগ্ৰহ আৰু সামাজিক আৰু আধ্যাত্মিক মান-মৰ্য্যাদা আৰু বিশেষৰ স্বৰ্ত্ত-অনুগ্ৰহ লাভৰপৰা ক্ৰমাৎ বঞ্চিত হৈ আহি, আজি আহোম সম্প্ৰদায় আকৌ উকা হৈ পৰিছে !

আহোমৰ সাম্প্ৰদায়িকতা—আগেয়ে উল্লেখিয়াই অহা হৈছে যে, আহোম এচোচিয়েচন সন্মিলনীৰ বিগত ডিব্ৰুগড় বৈঠকৰপৰা আমাৰ এই জাতীয় মহা অনুষ্ঠানৰ ওপৰত কংগ্ৰেছৰ প্ৰভুত্ব বিস্তাৰৰ সূত্ৰপাত হয়। তেতিয়াৰ-পৰাই এই এচোচিয়েচনৰ পূৰণি ৰীতি-নীতি সলাই কংগ্ৰেছীয়া ৰীতি-নীতি আচৰিবলৈ কংগ্ৰেছৰ আহোম কৰ্ম্মীবৰ্গে হোজা আহোম জাতিক উদগনি দিবলৈ ধৰে। সেই নতুন নীতিৰ অনুগামী হোৱাৰ ফলত, আহোমৰ শিক্ষিত ডেকা একাংশে আপোন-পাহৰা হৈ বৃহত্তৰ অসমীয়া জাতি এটা গঢ়িবৰ উদ্দেশ্যে আহোমৰ সাম্প্ৰদায়িকতা বৰ্জ্জন কৰা প্ৰচাৰ কাৰ্য্যত উন্মত্তভাৱে আগবাঢ়িবলৈ ধৰিলে। কাৰণ, সেই সাম্প্ৰদায়িকতা নিমালেই সেৱেহে হৈ আছিল, আহোমৰ অস্তিত্ব নিমালেই প্ৰাণ পৰিবলৈ ধৰিলে। সেই হেতুকে বৃটিচ্ অসম গৱৰ্ণমেণ্টৰ ক্ষমতাপ্ৰাপ্ত প্ৰধান কৰ্ম্মচাৰীবিলাকৰ দু-নয়নৰ কেবল, ইং ১৯৩৬ চনৰপৰা দুৰ্দ্দীয়া আহোম সম্প্ৰদায়ে চৰকাৰৰপৰা পোৱা বিশেষ বিবেচনাৰ অনুগ্ৰহ দান এটা-এটাকৈ হেৰুৱাবলৈ ধৰিলে ; আৰু অৱশেষত তাৰ ভজি উৱং হলগৈ। ইহাতে, আগেয়ে উল্লেখিয়াই অহা বিগত শিৱসাগৰ আহোম বাজহুৱা সভাৰ কাৰ্য্যবিৱৰণীৰ পাতনিত কোৱা কথাবেই কওঁ, "যি চৰকাৰী ক্ষমতা বা বিষয় বাসনাৰ লালসাত কংগ্ৰেছকৰ্ম্মী আৰু তেওঁলোকৰ অনুচৰ-বন্ধুসকলৰ দোষৰ পানী গাতে পৰি থাকে, তাৰে এচাইমান বিচাৰিলেই সাম্প্ৰদায়িকতা-বাদী নাম পায়।" মই নিজে সাম্প্ৰদায়িকতাবাদী নহওঁ, বৰং সততে আৰু সৰ্ব্বত্ৰে জাতীয়তাবাদী বুলি হে পৰিচিত। তাৰ সমৰ্থনৰ অৰ্থে মই কৈ অভিভাষণৰ পাত বঢ়াবৰ মন নাই ; থাওঁকতে ইমানকে কলেই যথেষ্ট হব যে, মই যেতিয়া পোন্-প্ৰথম অসম কাউন্সিলত আহোম প্ৰতিনিধি মেম্বৰ আছিলোঁ, তেতিয়াও সেই ৰাজকীয় সভাত দহ-অনা ছ-অনা হিচাপে হে বাইজৰ কাম কৰিছিলোঁ, অৰ্থাৎ দহ-অনা সদৌ অসমীয়া বাইজৰ হকে টানি, ছ-অনা মাথোন মোৰ আহোম জাতিৰ হকে টানিছিলোঁ, যেতিয়া মোৰ সম্মানীয় সহকৰ্ম্মী মুছলিম্ সম্প্ৰদায়ৰ প্ৰতিনিধি, বৰ্ত্তমান অসম গৱৰ্ণমেণ্টৰ ধাই মন্ত্ৰী চাৰ চাদুল্লা চাহাবে তেওঁৰ নিজ সম্প্ৰদায়ৰ কাৰণে দহ-অনা টানি, সদৌ অসমীয়া সমাজলৈ ছ-অনা মাথোন টানিছিল বুলি বাইজৰ ধাৰণা হৈছিল। কিন্তু এইটো আচৰিত মানিবলগীয়া কথা যে, সিমানতো, আৰু যি স্থলত অসমৰ অপৰাপৰ সদৌ সম্প্ৰদায়ৰ মাজত সাম্প্ৰদায়িকতা পূৰ্ণভাৱে চলিছিল আৰু ক্ৰমাৎ বলৱত হৈ চলি আহিছে, সেই স্থলত আহোম সম্প্ৰদায়ে নিজৰ প্ৰাপ্য হক বিচাৰিলে নিন্দাসূচক 'সাম্প্ৰদায়িকতা-বাদী' নাম পায় ! আজি হিন্দু, মুছলমান, খ্ৰীষ্টান আৰু হিন্দুৰ ভিতৰতে ব্ৰাহ্মণ, কায়স্থ, কলিতা, কোঁচ, সূত, নাথ কৈৱৰ্ত্ত, বৃত্তিয়াল, মেউৰী, মেছ, কছাৰী, মৰাণ, [illegible] প্ৰভৃতি বিবিধ জাতৰ মানুহৰ মাজত সাম্প্ৰদায়িক [illegible]

শেষ দিনক দিনে বাঢ়িব লাগিছে ; সেইবোৰৰ গতিবোধ কৰিবলৈ যুগুত ব্যৱস্থা নকৰি বা কৰিব নোৱাৰি, অকল অকলা আহোম সম্প্ৰদায়ক হে সাম্প্ৰদায়িকতপাপে চুৰ বুলি ভয় খুৱাই জাতীয়তাবাদীসকলে ইয়া কটাই নিয়ে! ই দুৰ্যোৰ স্বাৰ্থপৰতাৰ চিন্ নহয় নে? ফলিতাৰ্থত, আহোম কাৰ্য্যতঃ সাম্প্ৰদায়িকতাৰ সংকীৰ্ণতা ত্যাগ কৰি, জাতীয়তাবাদীৰ প্ৰশস্ততা গ্ৰহণ কৰাৰ বিশিষ্ট উদাহৰণ দি, তাৰ সিবিলাকৰ জাতিক বিষয়কৈ ক্ষতিগ্ৰস্ত কৰিলে। এতিয়া অন্যান্য সম্প্ৰদায়ে আহোমৰ সেই উজ্জ্বল পটন্তৰ অনুসৰণ কৰক, আহোমক তাৰপৰা ক্ষণিক-অব্যাহতি দি, আনবিলাক অসমীয়া সম্প্ৰদায়ে সেই পন্থাৰেই আগ বাঢ়ক। সিবিলাকে সেই অনুসাৰে আগ বাঢ়ি গৈ কাৰ্য্যক্ষেত্ৰত নমা দেখিলে, আহোম সম্প্ৰদায়ে একেবাৰে শংতাই নৈ, আকৌ পৰম উলাহেৰে সিবিলাকৰ লগ ধৰিবগৈ।

আহোমৰ স্বকীয়া ইলেক্‌টৰেট্।—ভাৰতক বিফৰ্মশাসনতন্ত্ৰ দান কৰাৰ সূচনাৰেপৰা সি কাৰ্য্যত ফলিয়াইলৈকে আনবিলাক সংখ্যালঘিষ্ঠ সম্প্ৰদায়ক দিয়াৰ দৰে, মোৰ দুখীয়া দুৰ্ব্বল আহোম জাতি সম্প্ৰদায়কো স্বকীয়া ইলেক্‌টৰেট্ দিয়াবৰ কাৰণে অসম, ভাৰত আৰু বিলাতৰ যাই গৱৰ্ণমেণ্টলৈ আহোম এচোচিয়েচনৰ জৰিয়তে আবেদন-নিবেদন জনাই আহোপুৰুষাৰ্থ কৰিলোঁ, কিন্তু কৰলৈ বেজাৰ লাগে, সেই সকলো চেষ্টা প্ৰচেষ্টাত পৰিণত হল, আহোমৰ মনোৰথ পূৰ্ণ নহল। ইয়াৰ আভাস আগতে, আহোম এচোচিয়েচনৰ বুৰঞ্জীৰ টোকাত উনুকিয়াই অহা হৈছে। সি যি হওক, তাৰ পাচতো, অসম প্ৰাদেশিক গোটাদিয়েক সম্প্ৰদায়ক স্বকীয়া ইলেক্‌টৰেটৰ ভাগ বিলাওঁতে আমাৰ এচোচিয়েচনৰপৰাও তদৰ্থে পুনৰপি আন্দোলন আৰু আবেদন কৰা হৈছিল। কিন্তু, অসম চৰ্কাৰৰ কূটমন্ত্ৰীৰ প্ৰভাৱত সি আদবাটতে জঁয় পৰিল, আৰু আগেয়ে উনুকিয়াই অহা কংগ্ৰেচী আহোম নেতাবৰ্গৰ প্ৰচেষ্টাত আৰু সেই সময়ৰ আহোম কাউন্সিল মেম্বৰৰ অদূৰদৰ্শিতাৰ দোষত আহোম সম্প্ৰদায় সেই প্ৰাপ্য হক লাভৰপৰা বঞ্চিত হল! এতিয়া সেই কনিষ্ঠ আৰু সমনীয়া অপৰাপৰ সম্প্ৰদায়ে স্বকীয়া ইলেক্‌টৰেটৰ সু-ফল হেলাৰঙে ভোগ কৰা দেখি, সেই আহোম নেতাসকল অনুতাপত তাপিত হবলগীয়া হৈছে। সংখ্যালঘিষ্ঠ যদিও, ভাগে-ভাগে দুই-চাৰিজনকৈ অসম এচেম্ব্লিত মেম্বৰ লাভ কৰি সেই সৰু-বৰ সম্প্ৰদায়বিলাকে আশাতীত প্ৰতিপত্তি উপভোগ কৰা দেখি সন্তোষ পাইছোঁ। মন্ত্ৰীমেল গঠনত অপৰাপৰ সংখ্যাগৰিষ্ঠ দলে সিবিলাকৰ ওচৰত সদায় হাত পাতিবলগীয়া হৈছে, তেনেকুৱাকৈ আহোমৰো স্বাধীন মেম্বৰ জনদিয়েক এচেম্ব্লিত থকা হলে আহোম সম্প্ৰদায়েও তদ্ৰূপ প্ৰতিপত্তি নিশ্চয় উপভোগ কৰিবলৈ পালেহেঁতেন, যিহেতু মন্ত্ৰীপদৰ বাছকৱনীয়া লোক আহোম সম্প্ৰদায়ৰ বুকুত বিৰল নহয়।

আহোমৰ কংগ্ৰেচৰ লগত মিত্ৰতা।—স্বকীয়া ইলেক্‌টৰেট্ পোৱা হলে প্ৰাদেশিক এচেম্ব্লি মন্ত্ৰী-সভাত আহোম সম্প্ৰদায়ে অন্ততঃ চাৰি-পাঁচখনমান আসন আচুতীয়াকৈ পালেহেঁতেন, কিন্তু কংগ্ৰেচ নীতিৰ অনুবৰ্ত্তী হৈ, জেনেৰেল ইলেকটৰেটত ভুক্ত হোৱাৰ ফলত, আহোমৰ দহজন মান প্ৰাৰ্থীৰ ভিতৰত দুজন মাথোন নিৰ্ব্বাচিত হল; যি সেই দুজন জেনেৰেল নিৰ্ব্বাচনত উঠিল, সিবিলাকো, কংগ্ৰেচৰ জাপত সোমাই, কংগ্ৰেচ নীতিৰ বান্ধ-ছাট খাই, জঠৰ হৈ সাম্প্ৰদায়িক নীতিৰ বিৰুদ্ধবাদী হল, আহোম সম্প্ৰদায়ৰ হকে মন্ত্ৰীসভাত মাত মাতিবলৈ সিবিলাকৰ হক নাথাকিল। গতিকে, ফলিতাৰ্থত বৰ্ত্তমান এচেম্ব্লি মন্ত্ৰী-সভাত আহোম সম্প্ৰদায়ৰ প্ৰতিনিধি সমূলঞ্চে নোহোৱা হল। যোৱা জেনেৰেল ইলেক্‌টৰেটত যি কেইজন আহোম প্ৰাৰ্থী স্বাধীনভাৱে থিয় হৈছিল, সিবিলাকৰ ভিতৰত এজনেও নিৰ্ব্বাচিত হব নোৱাৰিলে। সেই কেইজন প্ৰাৰ্থী বিশিষ্ট আহোম নেতাই আছিল; আৰু যি কেইটা সমষ্টিৰ প্ৰতিনিধিৰূপে সিবিলাক থিয় হৈছিল, সেই কেইটাত আহোম ভোটাৰৰ সংখ্যা অত্যধিক আছিল; এনে কি, অকল আহোম ভোটৰ বলেৰেই সিবিলাকে নিঃসন্দেহে নিৰ্ব্বাচিত হব পাৰিলেহেঁতেন, কিন্তু কংগ্ৰেচী প্ৰাৰ্থীৰ কেৰত আহোমৰ সেই স্বাধীন প্ৰাৰ্থী কেজনে ঠাৱৰিব নোৱাৰিলে। ফলিতাৰ্থত, আহোম ভোটাৰৰ বলেৰেই কংগ্ৰেচী প্ৰাৰ্থী জিকিল আৰু আহোম ভোটাৰৰ নাটনিতেই আহোমৰ

ধাৰ্মীৰ প্ৰাৰ্থী হাৰিল। ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট আৰু উত্তৰ-লক্ষীমপুৰত যি কেইজন আহোম প্ৰাৰ্থী আহোম সমাজৰ পাত তেজনি লৈ উঠিছিল, সিবিলাকক আহোম ভোটাৰেই যে হৰুৱালে সেই কথা সকলোৱে জানে। আগেয়ে যি উত্তৰ-লক্ষীমপুৰত যিজন আহোম প্ৰাৰ্থী ওপচনি ভোটৰ বলেৰে নিৰ্ব্বাচিত হৈছিল, সেই লক্ষীমপুৰত যোৱা বাৰত আহোম জাতিয়ে কংগ্ৰেচীক সমৰ্থন কৰাত তেওঁ কৃতকাৰ্য্য হব নোৱাৰিলে। অকল সেয়ে নহয়, কংগ্ৰেচ মেম্বৰ হৈও, কংগ্ৰেচৰ টিকেটেৰে প্ৰাৰ্থী থিয় হবলৈকো আহোম প্ৰাৰ্থীয়ে অবাঞ্ছনীয় হকা বধা পায়, তাৰ প্ৰমাণ স্বৰূপে সিদিনা মাথোন শিৱসাগৰ উপ-নিৰ্ব্বাচনৰ কেলেঙ্কাৰীলৈ আঙুলিয়ালেই যথেষ্ট হব। কংগ্ৰেচৰ মূল উদ্দেশ্যৰ লগত আমাৰ সম্পূৰ্ণ সহানুভূতি আছে, দেশৰ হিতাৰ্থে কংগ্ৰেচ কৰ্ম্মীক সহায় কৰিবলৈকো আমি সততে সাজু আছো, কিন্তু আগেয়ে নিজে জীয়াই থাকি আনক জীয়াবলৈ যত্ন কৰাটো হে স্বাভাৱিক বুলি ভাবোঁহক। সদৌ সামাজিক লোকে সাম্প্ৰদায়িকতাৰ সংকীৰ্ণ মেৰৰপৰা ওলাই জাতীয়তাৰ সৰ্ব্বজানিক প্ৰশস্ত মেৰত সোমাবলৈ আগুৱালে আহোম সম্প্ৰদায়েও অতি আনন্দেৰে আগ বাঢ়িব, বৰঞ্চ ইতিমধ্যত আহোমে সেই পন্থাৰে আগ বাঢ়ি কাৰ্য্যতঃ পটন্তৰ দি থৈছেই, এতিয়া আনবিলাক সম্প্ৰদায়েও আগ বাঢ়ি আহক। কিন্তু, যদি হে আটাইকে একেটা জাতীয়তা মেৰত সুমুৱাব পৰা নহয়, তেন্তে অকল অসলা আহোম সম্প্ৰদায়টোকে হেঁচি-ঠেলি নি গঁৰালত সুমাই থোৱাটো কেতিয়াও যুক্তিসঙ্গত নহয়।

আহোমক স্বকীয়া ইলেক্‌টৰেট্ নিতান্তই লাগে।—আহোমৰ অতীত, বৰ্ত্তমান আৰু ওচৰ-ভবিষ্যতৰ ৰাজনৈতিক অৱস্থা আউটি চাই, মই ভাঠি কওঁ, আহোমক স্বকীয়া ইলেক্‌টৰেট্ নিতান্তই লাগে; নহলে, ৰাজনীতি-ক্ষেত্ৰত আহোমৰ অস্তিত্ব নৰয়। কংগ্ৰেচ প্ৰমুখ্যে সদৌ জাতীয়তাবাদীয়ে যদি কয় যে, সদৌ অসমীয়া জাতিটোৰ উন্নতিয়েই আহোমৰ উন্নতি, তেন্তে আমিও ওপৰত উল্লেখিয়াই অহা শিৱসাগৰ জিলা আহোম সভাৰ কাৰ্য্য-নিৰ্ব্বাহীৰ পাতনিত কোৱাকে দোহাৰি কওঁ, "যদি তাকৰ সংখ্যক আহোম জাতিক অসমবাসী সৰহীয়া অসমীয়া জাতিৰ এটি বিশিষ্ট অঙ্গস্বৰূপে ধৰা হয়, তেন্তে আহোমৰ স্বকীয়া উন্নতিক গোটেই অসমীয়া জাতিৰ উন্নতি বুলি ধৰিব লাগিব।" সেই স্বকীয়া উন্নতি সাধিবলৈকে আহোমক স্বকীয়া ইলেক্‌টৰেট্ লগা হৈছে এতেকে, আহোমৰ নিমিত্তে অতিকমেও পাঁচখনমান আসন এচেম্ব্লি মন্ত্ৰী-সভাত আছুতীয়াকৈ থৈ, সেই কেইখন আসন পূৰাবৰ কাৰণে কেৱল আহোম প্ৰাৰ্থীৰ প্ৰতিযোগিতাৰ অৰ্থে স্বকীয়া ইলেক্‌টৰেট্ প্ৰাৰ্থনা কৰি, বৃটিচ গৱৰ্ণমেণ্টৰ যথা-যথা স্থানলৈ আহোম এচোচিয়েচনৰপৰা অনতিপলমে আবেদন কৰিব লাগে। বৰ্ত্তমান প্ৰথম এচেম্ব্লিৰ জীৱনকাল উকলিবৰ কাষ চাপিছে, তেৰ বছৰমানৰ মূৰত দ্বিতীয় এচেম্ব্লিৰ কাৰণে জেনেৰেল ইলেকচন হোৱাৰ আগন্তুক দেখা গৈছে, গতিকে এই বিষয়লৈ পিঠি দি নিটাল মাৰি ৰবৰ আৰু সময় নাই। অসম কাউন্সিলতো (Upper Chamber) আহোম সম্প্ৰদায়ৰ কাৰণে অন্ততঃ এখন নমিনেটেড আসন আছুতীয়াকৈ ৰখাবলৈ গৱৰ্ণৰ বাহাদুৰৰ সদনলৈ যথাসময়ত আবেদন পঠিয়াবলৈ হু-দিহা কৰিব লাগে।

আহোমৰ অঙ্গবৃদ্ধিৰ ব্যৱস্থা—বৰ্ত্তমান ৰাজনীতিৰ বিধানমতে সংখ্যালঘিষ্ঠ সম্প্ৰদায়ৰ জনসংখ্যা অনুসাৰে হে ৰাজকীয় অনুগ্ৰহৰ চৰ্তাদি দানৰ নিৰিখ নিৰ্দ্ধাৰিত হয়। যাৰ জনসংখ্যা যিমান অধিক, সেই অনুপাতে চৰ্তাদি লাভতো তাৰ ভাগ সিমান অধিক, সেই দৰেই যি সম্প্ৰদায়ৰ জনসংখ্যা তেনেই তাকৰ বা নিচেই নগণ্য সেই সম্প্ৰদায়, স্বকীয়া বিবেচিত হলেও, ৰাজ-অনুগ্ৰহাদি লাভৰ লেখত নুঠে। এতেকে, আহোমৰ সদৌ অঙ্গ-প্ৰত্যঙ্গাদি একগোট হৈ এটা বৃহৎ আহোম সম্প্ৰদায় গঠিত হোৱাটো একান্ত বাঞ্ছনীয়। কিন্তু, দুখৰ বিষয়, পৰ-সম্প্ৰদায়ৰ কু-পৰামৰ্শত বা দেখাক দেখি, আহোমৰ বিশিষ্ট অঙ্গ মৰাণ, মটক আদি খেলৰ স্ব-জাতীয় লোকেও ছটা কাটি লৈ স্বকীয়া সম্প্ৰদায় পাতিবলৈ প্ৰয়াস পাইছে। তাৰপৰা যে সিবিলাকৰ খেলৱন্তীয়া অঙ্গ আৰু বাই আহোম অঙ্গটোৰ ঘোৰ অনিষ্ট হে সূচনা কৰা হৈছে, তালৈ সিবিলাকে

ৰকৈ মণি চোৱা নাই। সেইদৰে সৰুসুৰা উপসম্প্ৰদায় গঠন কৰাৰপৰা যে সিবিলাকৰ স্বকীয়া জাতিগঠনত কিবা লাভ হব, সেইটোও আশা কৰিব নোৱাৰি। বৰং, সিবিলাকো চাপিচুচি লগ লাগি একে মুঠীয়া হৈ আহোম সম্প্ৰদায়ৰ অঙ্গ পুৰঠ কৰিলে উভয়ৰে মঙ্গল। সেই পুৰঠ আহোম সম্প্ৰদায়ক যি ৰাজ-অনুগ্ৰহ দান কৰা হব, তাৰ ন্যায্য ভাগ সিবিলাকেও ভোগ কৰিবলৈ পাব। সম্প্ৰতিকলৈকে যিবোৰ বিশেষ অনুগ্ৰহৰ চৰ্ত্ত আহোম সম্প্ৰদায়ক দান কৰা হৈছে, তাতো সিবিলাকৰ দাবী ৰহিব। মৰাণ, মটক, খামতী ইবিলাক তো আদিৰেপৰা আহোমেই,—সকলোটি একে টাই জাতীয় লোক আৰু সেই জাতীয় লোকৰ সম্পৰ্কীয় লোকৰ সমষ্টি; সিবিলাকৰ উপৰি দেউৰী, আহোম-চুটীয়া আদি আৰু কিছুমান আহোম অঙ্গীভূত খেলৰ লোক আছে, সিবিলাককো সাদৰে আঁকোৱালি ধৰি আহোমৰে সৈতে একাঙ্গ কৰা নিতান্ত প্ৰয়োজন। এইদৰে সদৌ অঙ্গ-প্ৰত্যঙ্গাদি একেমুঠীয়া কৰি মূল আহোম সম্প্ৰদায়টো পুৰঠকৈ সুগঠিত কৰি তুলিব পাৰিলে, ই অকলৈ শকত হৈ জিলিকিব, অকলেই অপৰৰ লগত ফেৰ পাতিবলৈ উপযুক্ত হব।

ট্ৰাইবাল আৰু অনুন্নত হিন্দু সম্প্ৰদায়ৰ লগত সঙ্ঘবদ্ধ :—বৰ্ত্তমান বৃটিচ গৱৰ্ণমেণ্টৰ ৰাজনীতি অনুসৰি, ৰাজকীয় কাৰ্য্যক্ষেত্ৰত ট্ৰাইবাল, অনুন্নত হিন্দু আদি অপৰাপৰ সম্প্ৰদায়ৰ লগত সঙ্ঘবদ্ধ সংস্থাপন কৰি, এটা শকত সমষ্টি (Stronger Unit) সৃষ্টি কৰিবলৈকো আহোম এচোচিয়েচনে যুগুত ব্যৱস্থাত ধৰিব লাগে। তদুপৰি, উভয় পক্ষৰ যুক্তিযুত কোনো বিশেষ আপত্তিৰ কাৰণ নাথাকিলে, সেই সংসৰ্গত মছলিম আৰু সৰ্ব্বসাধাৰণ সম্প্ৰদায়ৰ সমৰ্থন-যাজ্ঞাও গ্ৰহণ কৰিব লাগে। সেয়ে হলে, দীয়ত্ত গৱৰ্ণমেণ্টৰ আগত, হক কথাত, সমূহ প্ৰজা-প্ৰতিনিধি সঙ্ঘবদ্ধ (United front) হৈ থিয় দিবলৈ সদৌ সম্প্ৰদায়ে যুগুত বল লাভ কৰিব পাৰিব।

আহোম-পুঁজি :—'ধনেই ধৰ্মৰ মূল।' ধন নহলে কেকাজত বল নহয়। ধনেৰে অনেক মহৎ কাৰ্য্য কৰিব পাৰি। ধনৰ অভাৱত অনেক মহৎ অনুষ্ঠান বন্ধ হৈ পৰি থাকে। এই কথা আহোম সম্প্ৰদায়ৰ গাত পূৰ্ণমাত্ৰাৰে ফলিয়াইছে। দুখীয়া, নিছলা, অনুন্নত আহোমৰ উন্নতিৰ অৰ্থে কৰিবলগীয়া এনে ভালেমান মহৎ কৰ্ম আমাৰ আগত সদায় জিলিকি আছে, যাক ধনৰ অভাৱত আমি সাধিব পৰা নাই। আহোম এচোচিয়েচনৰ বুৰঞ্জীৰ টোকাৰ লগত আগতে উন্নুকিয়াই অহা হৈছে যে, যোৱা আঠৈচুৰি বছৰেও আহোম এচোচিয়েচন বা আহোম কেন্দ্ৰসভাই আহোম-পুঁজি এটা পাতি লব পৰা নাই। স্থানীয় বা জিলা সভাবিলাকৰো তেনে টনকিয়াল পুঁজি স্বকীয়া-স্বকীয়াকৈ আছে বুলিও কব নোৱাৰি। এতেকে, যিমান সোনকালে পৰা যায়, এটা শকত কেন্দ্ৰীয় আহোম-পুঁজি পাতি লবলৈ সদৌ আহোম জাতিয়ে অহোপুৰুষাৰ্থ কৰা উচিত। সঙ্গতিপন্ন জাতিৰ হাজাৰ-হাজাৰ টকাৰপৰা দুখী-দৰিদ্ৰ জাতিৰ পাই-পইচাটোলৈকে এই পুঁজিৰ অৰ্থে অৰ্থ সংগৃহীত হব লাগে। গড়হিচাপে প্ৰতি আহোমৰ মূৰে এটকাকৈ ধৰিলেও তিনিলাখ টকা হয়। প্ৰথমতে তেনেকুৱা এটা লখিমী পুঁজি পাতি লৈ তাৰ মূলধন বঢ়াবলৈ যুগুত ব্যৱস্থা অনতিপলমে হব লাগে। বৰ সন্তোষৰ কথা, ইতিমধ্যত তেনে এটা ব্যৱস্থাৰ যো-জা চলিছেই; আশা কৰোঁ, ঈশ্বৰৰ কৃপাত অচিৰে তাত সু-ফল ফলিয়াব।

আহোম-মুখপত্ৰ : সামৰণিত কওঁ, অজলা আৰু অশিক্ষিত আহোম জনসাধাৰণৰ জ্ঞান বিস্তাৰৰ অৰ্থে আহোম মুখপত্ৰ এখনৰ নিতান্ত প্ৰয়োজন। নিজৰ, জাতিৰ, জাতিৰ, সমাজৰ, দেশৰ অৱস্থা বিষয়ক জ্ঞান আৰু অভিজ্ঞতা লাভ কৰাই তাৰ উন্নতিকল্পে সদৌ জনশক্তি সৃষ্টি কৰিবলৈ বাতৰি কাকতৰ সমান সুগম পন্থা দ্বিতীয় নাই। বাতৰি কাকতৰ জৰিয়তে প্ৰচাৰিত হোৱা জ্ঞান-বুদ্ধি লাভ কৰি উন্নত হোৱা দেশৰ লেখ দিবলৈ অনেক আছে। তাৰ ভিতৰত আমেৰিকা, জাপান, জাৰ্ম্মানী, ৰুচিয়া—এইবোৰ উল্লেখৰ যোগ্য। আমেৰিকাত মগনীয়াইো বাতৰি কাকত পইচা দি পঢ়ে; জাপানত হালোৱাৰ হাততো বাতৰি কাকত; জাৰ্ম্মানীত গাড়োৱানেও গাড়ীৰ চকিৰ পোহৰত বাতৰি কাকত পঢ়ে; ৰুচিয়াত সদৌ জনসাধাৰণৰ মাজত বাতৰিকাকত হাতে হাতে। আমাৰ ভাৰতবৰ্ষতো দি

প্ৰদেশত যি জাতিৰ মাজত বাতৰি কাকতৰ বিস্তাৰ প্ৰচলন, সেই প্ৰদেশৰ সেই জাতিৰ লোক সিমান উন্নত হৈছে। এতেকে, আহোমৰ নামমূলক অসম প্ৰদেশত আহোমৰ মুখপত্ৰ এখন নথকাটোৱেই লাজৰ কথা। আজিকালি আহোমৰ স্বকীয়া হক সমৰ্থন কৰা কাকত অসমত এখনো নাই। কেতিয়াবা কোনোবাই ভুলে-চুকে আহোমৰ হৈ দু-আষাৰ কোনোবা কাকতত প্ৰকাশ কৰিলেও সি প্ৰতিবাদ-টোপৰ মুখত পৰি যেঁ'ৱা হৈ উৰি যায়; সেই কাকতেও 'বস্তি'ৰ দশা মিলিব বুলি ভয় কৰে। এই সম্বন্ধে কৰণীয়া বহুতো আছে, কিন্তু তাৰ নিমিত্তে অভিভাষণৰ পাত বঢ়াবৰ মন নাই, মুঠৰও পৰত ইয়ানকে সকেত দিওঁ, আহোম সম্প্ৰদায়ৰ এই ভাৱৰ অভাৱটো ওভাবলৈ আহিব আহোম সন্মিলনীত এটা কাৰ্য্যকৰী আঁচনি গৃহীত হোৱাটো একান্ত বাঞ্ছনীয়।

বাইজ! আমাৰ আজিৰ আলোচ্য বিষয়ৰ পাতনি বহলাই যেনি আপোনালোকক আমনি দলগাই, ইয়ানতে সামৰণি মাৰিলোঁ। এতিয়া মই মুখ যোৰাই সমবেত বাইজ আৰু জাতিভগ্নীসকলক সেৱা জনাইছোঁ, বাইজে আশীৰ্বাদ দিয়ক।—ওঁ, শান্তি! শান্তি!! শান্তি!!!

জাতিসেৱক,

শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা